
অতুলচন্দ্ৰ হাজৰিকা ৰচনাৱলী

২য় খণ্ড



সম্পাদক—কনকচন্দ্ৰ ডেকা

ATULCHANDRA BARUA RACHANAVALI, Vol. II, a compilation of eleven volumes of literary works of Shri Atul Chandra Barua, edited by Prof, Kanak Chandra Deka,

Price : Rs. 200·00

অতুলচন্দ্ৰ বৰুৱা ৰচনাৱলী

দ্বিতীয় খণ্ড


প্ৰথম সংস্কৰণ : ১৯৯৬

প্ৰচ্ছদপট শিল্পী : ত্ৰৈলোক্য দত্ত

প্ৰকাশক : বৰুৱা প্ৰকাশন
নৰগিৰি, চানমাৰি
গুৱাহাটী—৮৭১০০৩

মূল্য : দুশ টকা

মুদ্ৰক :
অৰুণোদয় প্ৰেছ
শিলপুখুৰী, গুৱাহাটী-৩



মোৰ দুআষাৰ

লেখকসকল প্ৰায়ে দুখীয়া হৈ ওপজে। অতি কম সংখ্যকেহে সাহিত্য চৰ্চ্চত নামি কিতাপ লিখি নিজে প্ৰকাশ কৰিবলৈ সাধি আছে। আলোচনী, বাৰ্ত্তালোচনী স্মৰণিকা, পৰৰ লিখা কিতাপৰ পাতনি আদিত লিখি সাহিত্য চৰ্চ্চা কৰি থাকিয়ে তেওঁলোকে জীৱন-লীলা সামৰে। বহুতৰ আকৌ লেখাবোৰে পুস্তক ৰূপ ধাৰণ কৰিও প্ৰকাশৰ পোহৰ নাপায়, লেখাবোৰ লেখা হৈয়ে থাকে: লেখকে সেই আটাইবোৰকে দলনিত পোনা মেলাৰ দৰে ছেদেলি-ভেদেলি কৰি এৰি যায়।

ৰচনা-সম্ভাৰ লেখকৰ মানস-সন্তান। সন্তানক জীৱনত সুপ্ৰতিষ্ঠিত হৈ লোকসমাজৰ দ্বাৰা সমাদৃত হোৱা দেখিবলৈ প্ৰত্যেক পিতৃ-মাতৃয়ে হাবিয়াহ কৰে। সেয়েহে লিখিত সম্ভাৰ প্ৰকাশ কৰিবলৈ আৰু প্ৰকাশিত সাহিত্য-সমলবোৰো প্ৰণালীবদ্ধ কৰি ৰাখিবলৈ সকলো লেখকৰে আন্তৰিক বাসনা।

অন্য কথাত কবলৈ গলে সকলো ৰচিত পুথি ৰচয়িতাৰ বংশধৰ। বংশধৰে পিতৃ-পুৰুষৰ নাম উজ্জ্বলাব পাৰক নোৱাৰক তেওঁলোকৰ-পৰা অপত্য-স্নেহ আৰু তদাৰক আশা কৰে। ৰচক আৰু তেওঁৰ ৰচিত সমলৰ মাজতো তেনে এটি সম্পৰ্ক অন্তৰ্নিহিত থাকে। সেই চিন্তা-ধাৰাৰে অনুবৰ্ত্তী হৈ মই মোৰ ইতিপূৰ্ব্বে প্ৰকাশিত হৈ ওলোৱা লেখাখিনিৰ কিয়দংশেৰে ৰচনাৱলীৰ প্ৰথম খণ্ড যুগুত কৰিছিলো। পুথিকেইখনৰ সংৰক্ষণ আৰু সহজ-লভ্যতাই আছিল

যাৰ মুখ্য উদ্দেশ্য। প্ৰথম খণ্ডত সাহিত্যৰ ৰূপৰেখা, সমালোচনা সাহিত্য, সাহিত্য-দৃষ্টি, সাহিত্য-জীৱন, অসমীয়া লোক-সাহিত্য, অসমীয়া কাব্যত প্ৰেমৰ বৌৱতী সুঁতি, মনসা-কাব্য আৰু ওজা-পালি, আৰু অসমীয়া অভিধান আৰু ভাষা—এই আঠখন পুথি সন্নিৱিষ্ট কৰা হৈছিল। ৰচনাৱলীত অন্তৰ্ভুক্ত হবলৈ বাকী থকা পুথিবোৰো লাহে লাহে দুষ্প্ৰাপ্য হৈ অহা দোখ আৰু প্ৰথম খণ্ড ৰচনাৱলীৰ প্ৰতি সহৃদয় পাঠক-পাঠিকা আৰু পুথি-ভঁৰালসমূহৰ আদৰ অ[illegible] লক্ষ্য কৰি, লগতে হিতাকাঙ্ক্ষী বন্ধু দুই চাৰি-জনৰ অকৃত্ৰিম উদগনি। অধুনা ৰচনাৱলীৰ দ্বিতীয় খণ্ড ৰাইজৰ আগলৈ আগবঢ়োৱা হ'ল।

বিভিন্ন সময়ত প্ৰকাশ হোৱা গ্ৰন্থসমূহৰ প্ৰথম প্ৰকাশে সদাশয় পাঠকৰ মনত যি প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল তাৰ এটি ক্ষুদ্ৰ আভাস এইখণ্ড ৰচনাৱলীৰ শেষৰ ফালে পৰিশিষ্টত সম্পাদকে মজুত ৰাখিছে। নকলেও হ'ব যে সম্পাদক শ্ৰীমান কনকচন্দ্ৰ ডেকা অধ্যাপকৰ অপৰিসীম যত্নৰ ফলতে ৰচনাৱলীৰ প্ৰকাশ। তেওঁলৈ এই ছেগতে মোৰ অন্তৰৰ অকুণ্ঠ শলাগ যাচিলোঁ।

দুয়োখন ৰচনাৱলীত ইমানলৈ অন্তৰ্ভুক্ত নোহোৱা পুথি—স্মৃতিৰ ৰাঙিয়া, শৰৎচন্দ্ৰ গোস্বামী, ছন্দশিল্পী ভোলানাথ দাস, খেলিমেলি, সানমিহলি শঙ্কৰদেৱ, মাজনিশাৰ সাধু আদিৰ লগত মুকুল প্ৰকাশ ৰঘুনাথ চৌধাৰী ৰচনাৱলী, চিন্তাধাৰা আদি পুথিৰ সুদীৰ্ঘ পাতনি-বোৰ, মোৰ জীৱন-নৈৰ ঢৌবোৰ শিতানৰ শতাধিক প্ৰকাশিত প্ৰবন্ধ আৰু জয়ন্তী, সুৰভি, বাঁহী, অসম সাহিত্য সভা পত্ৰিকা, অসম বাণী, আৱাহন, নীলাচল, কি ফুলে ফুলালা, জনমভূমি অসম বান্ধৱী, পয়োভৰা, দীপক, অগ্ৰদূত, জোনবাই, উত্তৰণ, বহ্নিমলা, জনশিক্ষা, পৌৰ বিচিত্ৰা, নাম নাই, জ্যোতি, তৰঙ্গ

আদি আলোচনী আৰু মধ্যবিংশ শতিকাৰ অসমীয়া সাহিত্যৰ দৰে বিবিধ গ্ৰন্থ আৰু ভাষণাৱলীত সিঁচৰতি হৈ থকা সাহিত্য-সমলবোৰ থূপ খুৱালে ক'মেও আৰু দুখন ৰচনাৱলীৰ সম্ভাৰ ওলাব। সেই কাম সম্প্ৰতি দুৰ্জ্ঞেয় ভৱিতব্যতাৰ অতল গৰ্ভত। আজিলৈ মিনতি ইমানেই।

[illegible]

নৱগিৰি,
চানমাৰি,
গুৱাহাটী-৩
পিন-৭৮১০০৩

২৯/৫/৯৬
[অশীতি-বৰ্ষ-পূৰ্ত্তিৰ জন্মদিন]

সম্পাদকৰ নিবেদন

বৃহৎ অসমীয়া জাতিগঠন আৰু অসমীয়া ভাষা-সাহিত্যৰ সৌধ নিৰ্মাণত গধুৰ আৰু বিস্তৰ অৱদান যোগাওঁতা ওজা সাহিত্যিক সকলৰ ভিতৰত পদ্মনাথ গোহাঞিবৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা অতুলচন্দ্ৰ হাজৰিকা, ডºমহেশ্বৰ নেওগ, ডº সত্যেন্দ্ৰনাথ শৰ্ম্মাৰ খোজত খোজ মিলাই যাৱা আনগৰাকী সাহিত্যিক শ্ৰীঅতুলচন্দ্ৰ বৰুৱা ডাঙৰীয়া। বৰুৱাৰ গদ্য সাহিত্যৰ সম্পৰ্কত আন্তৰ্জাতিক খ্যাতিসম্পন্ন লোক-সাহিত্যিক, পণ্ডিত-গৱেষক ডº প্ৰফুল্লদত্ত গোস্বামীক এক সাক্ষাৎ প্ৰসঙ্গত অধ্যাপক ৰঞ্জিৎ কুমাৰ গোস্বামী প্ৰশ্ন সোধাত ভাল অসমীয়া গদ্য লেখকৰ নাম উল্লেখ কৰোতে কেৱল পদ্মনাথ গোহাঞি বৰুৱা আৰু শ্ৰীঅতুলচন্দ্ৰ বৰুৱাৰ নামহে উল্লেখ কৰিছে। ডº গোস্বামীৰ এই অভিমত নিশ্চয় প্ৰণিধানযোগ্য।*

নামোল্লেখ নকৰিলেও ক'ব আমাৰ কেইমান সাহিত্যিকৰ ভাষা দুৰ্বোধ্য, প্ৰকাশভঙ্গী শ্ৰুতিকটু, বিষয়বস্তু পাৰত গজা, আনৰ পৰা ধাৰ কৰি আনি জোৰা-টাপলি মৰা বিধৰ। শ্ৰীবৰুৱাৰ ৰচনাৰাজি তেনেই নিমজ আৰু প্ৰাঞ্জল, ৰচনাৰীতি প্ৰাণস্পৰ্শী, বিষয়-বস্তু ভূমিত গজা, অসম ভূমিত, ভাৰত ভূমিৰ পৰা ঘাইশিপা ফুটি ওলোৱা। তেখেতৰ অনুবাদ সাহিত্য আৰু কিছুমান ৰচনাত পাশ্চাত্যৰ সাহিত্য সম্ভাৰ গ্ৰহণ কৰিলেও সেইবোৰে বাছকবনীয়া কথাশিল্পী বৰুৱাদেৱৰ হাতৰ পৰশ পাই 'মই অসমীয়া, মই ভাৰতীয়' বুলি উদাত্তকণ্ঠে ঘোষণা কৰিছে। ইন্দ্ৰধনুৰ সাতৰঙৰ দৰে শ্ৰীবৰুৱাৰ সাহিত্যত বিবিধ ৰসৰ সমাহাৰ ঘটিছে। তাৰ ভিতৰত ময়ূৰ ময়ূৰী চালি ধৰি নচাৰ দৰে বৰুৱাৰ সাহিত্যৰাজিৰ দুই এখন পুথিত হাস্য-ৰসে উজান ধৰিছে। হাস্যৰসৰ কাষে কাষে সখী চিত্ৰলেখাৰ

---

* কথা—সাহিত্য-আলোচনী, অক্টোবৰ, ১৯৯৩

আগত ৰাজকুমাৰী উষাই মদনৰ পীড়া ব্যক্ত কৰাৰ দৰে বৰুৱাৰ সাহিত্যত শৃঙ্গাৰ ৰসেও প্লাৱন আনিছে।

বৰুৱাদেৱৰ পুথিৰ আকাৰত ওলোৱা আৰু অন্তৰ্ভুক্ত সংৰক্ষিত হৈ থকা ৰচনাসমূহ থূপাই প্ৰকাশ কৰাৰ এটা দুৰূহ কাম হব। ১৯৯৩ চনত প্ৰকাশিত 'অতুলচন্দ্ৰ বৰুৱা ৰচনাৱলীৰ' প্ৰথম খণ্ডত আঠখন পুথি ইতিপূৰ্বে সন্নিৱিষ্ট কৰা হৈছে। হেজাৰধীক পৃষ্ঠাৰ ৰাজকীয় সংস্কৰণটো সাহিত্যপ্ৰেমী সুধীসমাজে আদৰি লোৱাত লেখক-সম্পাদক উভয়ে কৃতাৰ্থ হৈছো। সম্প্ৰতি বাৰশৰো অধিক পৃষ্ঠাৰ 'অতুলচন্দ্ৰ বৰুৱা ৰচনাৱলী'ৰ দ্বিতীয় খণ্ডটো আমি ৰাইজৰ হাতত অৰ্পণ কৰিবলৈ পাই পৰম সুখী হৈছো। দ্বিতীয় খণ্ডটোত বৰুৱাৰ ইতিপূৰ্বে প্ৰকাশিত এবাৰখন পুথি থূপাই ছপা কৰা হৈছে। বৰুৱাদেৱৰ সমস্ত ৰচনাৰাজি গোটাই ছপা কৰিবলৈ হ'লে কমেও তেনে চাৰিটা খণ্ড হ'ব। গ্ৰন্থখনি সম্পাদনা কৰোঁতে বৰুৱাদেৱৰ মূল ৰচনা অক্ষত অৱস্থাত ৰখা হৈছে।

গ্ৰন্থখনিৰ পৰিশিষ্ট শিতানত বৰুৱাদেৱৰ প্ৰকাশিত গ্ৰন্থৰাজিৰ সম্পৰ্কত বিজ্ঞ পণ্ডিত ব্যক্তিসকলে যথাসময়ত আগবঢ়োৱা অভিমত-সমূহৰ গোটাচেৰেক সন্নিৱিষ্ট কৰা হৈছে।

অতুলচন্দ্ৰ বৰুৱা ৰচনাৱলীৰ দ্বিতীয় খণ্ডটো সম্পাদন কৰোঁতেও বৰুৱাদেৱৰপৰা সকলো ক্ষেত্ৰতে অকুণ্ঠ সহায় আৰু তেখেতৰ সুসাহিত্যিক সহধৰ্মিণী শ্ৰীযুতা হিৰণপ্ৰভা বৰুৱাৰপৰা সততে পাই অহা অকৃত্ৰিম স্নেহ আৰু প্ৰেৰণা পাইছো। তাৰবাবে দুয়োৰে ওচৰত আমি ঋণী হৈ থাকিলো। অৰুণোদয় প্ৰেছৰ স্বত্বাধিকাৰ ভাতৃদ্বয় শ্ৰীজয়ন্তকুমাৰ শৰ্মা, শ্ৰীঅংশুমান শৰ্মা আৰু কৰ্মচাৰী সকলৰ পূৰ্ণ সহযোগ কৃতজ্ঞতা সহকাৰে স্বীকাৰ কৰিবই লাগিব।

শেষত 'ব্ৰহ্ম কৃপাহি কেৱলম্' আপ্তবাক্য স্মৰণ কৰি আমাৰ অনিচ্ছাকৃত ভুল-ত্ৰুটীৰ বাবে সবাৰো ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিলো।

২৫ আগষ্ট, ১৯৯৬ কনকচন্দ্ৰ ডেকা

সূচীপত্র

বিষয় পৃষ্ঠা

দ্বিতীয় খণ্ড

তৃতীয় খণ্ড

বিষয়	পৃষ্ঠা

বিষয় পৃষ্ঠা

বিষয় পৃষ্ঠা

বিষয় পৃষ্ঠা

দ্বিতীয় খণ্ড

তৃতীয় খণ্ড

অতুলচন্দ্র বড়ুয়া রচনাবলী

দ্বিতীয় খণ্ড

প্রজাপতির নির্ব্বন্ধ

PRAJAPATIR NIRBANDHA : This book is divided into two parts. The first part is all about women, their ways and charms, love, marriage and morals. All the essays of the first part, illustrated profusely from classics of the world, are refreshing and thought-provoking, thus making happy reading. The second part contains a number of stories, each with an amusing background. Those who are listening to the call of PRAJAPATI will find this an enchanting treatise—THE ASSAM TRIBUNE. 4. 3. 58.

প্ৰকাশক

শ্ৰীকৃষ্ণনাথ দাস

উজানবজাৰ, গুৱাহাটী।

মূল্য : পাঁচ টকা

অৰ্পণ

স্বৰ্গীয় হলীৰাম ডেকাৰ

পুণ্য স্মৃতিত

প্ৰথম সংস্কৰণ ১৯৫৭, আগষ্ট

দ্বিতীয় সংস্কৰণ ১৯৫৮, আগষ্ট

তৃতীয় সংস্কৰণ – ১৯৬২, ডিচেম্বৰ

মুদ্ৰক :

শ্ৰীকালীচৰণ পাল

নবজীবন প্ৰেছ

৬৬ গ্ৰে ষ্ট্ৰীট, কলিকতা-৬

নিবেদন

প্ৰজাপতিৰ নিৰ্ব্বন্ধ হেনো ভগৱানৰ বিনন্দীয়া সৃষ্টিৰ মূল ৰহস্য। বিধি বা অদৃষ্টৰ এই নিৰ্ব্বন্ধৰ হেতুকেই পুৰুষ আৰু নাৰীৰ জীৱনৰ এছোৱা কালত অতৰ্কিতে উভয়ৰ প্ৰতি উভয়ৰ আকৰ্ষণ অতি প্ৰবল হৈ উঠে। তেতিয়া তেওঁলোকে নেদেখা সৌন্দৰ্য্যও দেখে, নুশুনা সঙ্গীতো শুনে আৰু সৃষ্টিৰ সকলো পদাৰ্থতে নতুন জেউতি আৰু অৰ্থ দেখিবলৈ পায়। জীৱনৰ এই কালছোৱাই যৌৱন, আৰু যৌৱনৰ মূল বস্তু প্ৰেম। গতিকে প্ৰেম আৰু যৌৱনৰ কাৰ্য্য-বিশ্লেষণ অতিশয় আমোদজনক চৰ্চ্চা। বিশেষতঃ ডেকা বয়সৰ লগত ই তেনেই খাপ খাই পৰে।

১৯৪০।৪১ চনৰ কথা। তেতিয়া আমি বিশ্ববিদ্যালয়ৰ 'ডেকা ডিগ্ৰি' (Bachelor of Arts) লৈ কলেজৰপৰা বাহিৰ হৈ কামৰূপ একাডেমিত শিক্ষকতা কৰিছিলোঁ। আলোচনীৰ পাতত হোৱাই নোহোৱাই দুই একোটা প্ৰবন্ধ লিখা অভ্যাস তেতিয়া আগতকৈও চৰিছিল—বিশেষকৈ, 'প্ৰগতি সমিতি'ৰ দিনৰেপৰা আমাৰ সকলোৰে আতা বিহগী কবি শ্ৰীৰঘুনাথ চৌধাৰীদেৱৰ উদগনিত। ইংৰাজী কিতাপ দুই চাৰিখন পঢ়ি প্ৰেৰণা পাই 'বিবাহ আৰু কৌমাৰ্য্য', 'ৰুচি, সভ্যতা আৰু সাজপাৰ' আদি গোটাচেৰেক প্ৰবন্ধ তেতিয়াই 'জয়ন্তী'ত লিখা হৈছিল। তেতিয়াৰ সহকৰ্ম্মী আৰু হে'ড্‌মাষ্টাৰ শ্ৰদ্ধেয় বন্ধু শ্ৰীঈশ্বৰপ্ৰসাদ চৌধুৰীদেৱে (এতিয়া তেওঁ প্ৰচাৰ বিভাগৰ ডিৰেক্টৰ) তাকে দেখি আমাক বন্ধুভাৱে কৈছিল —"এতিয়া আপুনি এইবোৰ প্ৰবন্ধ নছপাব; বিয়া কৰোৱাৰ পাছত ছপাব"। সনম্ৰে আৰু সসঙ্কোচে তেখেতৰ উপদেশকে সাৰোগত

কৰি সেই পৰ্য্যায়ৰ প্ৰবন্ধ প্ৰকাশ কৰিবলৈ এৰি দিছিলোঁ, বিশেষতঃ, এজনা গাল্পিক বন্ধুৰ সেই সময়ত আদি-ৰসৰ গল্প লিখি জীৱনৰ ওপৰঞ্চি অৱলম্বন প্ৰাইভেট টিউচনটি কিদৰে গৈছিল সেই কথাও আমাৰ মনত তেতিয়া সজীৱ আছিল।

বিয়াৰ পাছত আৰু কলেজৰ অধ্যাপনা কৰি থাকোঁতে সেই বিষয়ে ভবা হৈছিল কিন্তু কাৰ্য্যত প্ৰবলভাৱে আগ বাঢ়িবলৈ কুণ্ঠাবোধ হৈছিল, কাৰণ, শিক্ষা বিভাগৰ চাকৰি আৰু অধ্যাপনা অনেক সময়ত মুক্ত লিখনিৰ পথ-কণ্টক অধুনা সেই ৰামো নাই, সেই অযোধ্যাও নাই: সেই অবিবাহিত অৱস্থাও নাই, অধ্যাপনাও নাই। সময়ৰ সোঁতত কৰ্ম্মক্ষেত্ৰও বিক্ষিপ্ত হৈ আগবাঢ়ি আহোঁতে এতিয়া অতীতৰ সেই প্ৰবন্ধ, গল্পাদিলৈ মনত পৰাত, বন্ধুবৰ প্ৰেমনাৰায়ণৰ উদগনিতে নেথুচুলানতে নাজানো প্ৰবন্ধবোৰ থুপ খুৱাবলৈ বাধ্য হলো। এনেতে প্ৰকাশকৰ উদাৰ সহানুভূতি লভি সেইবোৰে পোনেই প্ৰেছলৈ দৌৰ মাৰিলে।

গল্প আৰু প্ৰবন্ধবোৰ ন-কৈ সজোৱাত পণ্ডিত ৺কমলনাৰায়ণ, শ্ৰীথানেশ্বৰ শৰ্ম্মা কবিৰাজ আদি লোকসকলৰ প্ৰবন্ধাদিৰ পৰা প্ৰভূত সাহায্য পোৱা হৈছে। অধ্যাপক বন্ধু শ্ৰীৰজনীকান্ত শৰ্ম্মাদেৱে কুমাৰ-সম্ভৱৰ অনুবাদখিনি হাত ফুৰাই দি কৃতাৰ্থ কৰিছে, আৰু প্ৰবন্ধ যুগুত কৰাৰেপৰা প্ৰুফ চোৱালৈকে আদ্যোপান্ত সকলো কামত বন্ধুবৰ প্ৰেমনাৰায়ণেই সহায় কৰিছে। মুখৰ ধন্যবাদত বাহিৰে তেওঁলোকক যাচিবলৈ লেখকৰ অন্য একো নাই। তাকে লৈয়ে তেওঁলোক তুষ্ট থাকিব বুলি জানি ইমানতে তেওঁলোকলৈ, আৰু লগতে সহৃদয় পাঠকসকললৈ—ইয়াকে মিনতি হামাৰী' স্বৰূপে আগবঢ়োৱা হ'ল। ইতি—

পোন্ধৰ আগষ্ট, '৫৭
নৱগিৰি, গুৱাহাটী

শ্ৰীঅতুলচন্দ্ৰ বৰুৱা

দ্বিতীয় সংস্কৰণৰ কথা

এটি বছৰ উকলি যাবলৈ নৌপাওঁতেই 'প্ৰজাপতিৰ নিৰ্ব্বন্ধ' শেষ হোৱাত অ'ত ত'ত অলপ-অচৰপ যোগ-বিয়োগ কৰি ইয়াৰ দ্বিতীয় সংস্কৰণ উলিওৱা হ'ল। বিশেষকৈ 'জনসংখ্যা সমস্যা' প্ৰবন্ধটিত কিছু কথা নকৈ সংযোজনা কৰাৰ উপৰিও 'উৎসৱ, বন্ধন, প্ৰেম আৰু সভ্যতা' নামৰ আৰু এটা নিবন্ধ নকৈ যোগ দিয়া হৈছে। মূল্য কিন্তু আগৰ সমানেই ৰখা হৈছে। সদাশয় পাঠকসকলৰ শুভেচ্ছাই আমাৰ সম্বল। ইতি

পোন্ধৰ আগষ্ট, '৫৮
নৱগিৰি, গুৱাহাটী

শ্ৰীঅতুলচন্দ্ৰ বৰুৱা

তৃতীয় সংস্কৰণৰ কথা

পৰিবৰ্ত্তন আৰু পৰিবৰ্দ্ধনৰ দ্বাৰা কিতাপখনৰ এইবাৰ নামে-কামে এটা নতুন সংস্কৰণ উলিয়াবলৈ যত্ন কৰা হৈছে। পুৰণি প্ৰবন্ধত কৰা আৱশ্যকীয় সাল-সলনিৰ উপৰিও 'উদ্‌ভ্ৰান্ত প্ৰেম আৰু কুমাৰী জননী' শিতানৰ নতুন প্ৰবন্ধ এটা আৰু 'ৰাণী এলিজাবেথৰ বিচাৰ', 'বিছুৰ বৰগুণি', 'বিদুষী পত্নী' আদি গোটাচেৰেক গল্প, কাহিনী আৰু ঘটনাৰ যথাযথ বৰ্ণনাৰ সংযোজনা—এই সংস্কৰণৰ বিশেষত্ব। উল্লেখ নকৰিলে ভুল হব যে এইবাৰ সকলো আহি-কাকত চাই দিয়া বাবেই নহয়, উৎসাহ, উদ্দীপনা আৰু উপদেশেৰে উপকৃত কৰা বাবেও লেখক তেওঁৰ অগ্ৰজ-প্ৰতিম বন্ধু সুসাহিত্যিক শ্ৰীমুক্তিনাথ বৰদলৈৰ ওচৰত ঋণী। এতিয়া ই পাঠকৰ উপাদেয় হলেই হয়।

শ্বিলং
২৫.১২.৬২

ইতি
শ্ৰীঅতুলচন্দ্ৰ বৰুৱা

প্ৰজাপতিৰ নিৰ্ব্বন্ধ

(আলোচনা খণ্ড)

প্ৰেম

ভাল পাওঁ কিয় মই? কি মতে বুজাওঁ হেৰা, ভাল পাওঁ
কিয়নো তোমাকে?
বিশ্বৰ মাধুৰীৰাশি জীৱনৰ মউ-কোঁহ আছে দেখি
লুকাই তোমাতে।
—দেৱকান্ত।

কিছুমান লোকক দেখিলে আমাৰ মনত উলাহ লাগে আৰু অন্য কিছুমানক দেখিলে আকৌ বিনা কাৰণতে বিৰক্তিবোধ জাগে। কিছুমান লোকৰ কথাই আমাৰ কাণত মৌ বৰষে, আন কিছুমানৰ মাত শুনিলেই খং উঠে। আকৌ কাৰো কথা শুনি থাকিও আমনি নালাগে—"অমৃত পিয়ন্তে যেন মুগুচে পিয়াস", অন্য কিছুমান লোকৰ ভাল কথাও আকৌ ভীষণ তিতা লাগে। কিছুমানৰ সান্নিধ্য আৰু সঙ্গসুখ আমাৰ কাম্য আৰু উপভোগ্য হয়, আৰু অন্য কিছুমানক দেখিলে দূৰতে বিদূৰ হবলৈ মন যায়। এনেবোৰ আকৰ্ষণ আৰু বিকৰ্ষণৰ গুৰিত আছে মনত থকা আত্মীয়তা বা বৈৰীতা, মিল বা অমিল, অথবা মিত্ৰতা বা শত্ৰুতা। মিলতেই মিলন সম্ভৱ হয়, অমিলত নহয়। কবিয়ে কম কথাতে কোৱা বাই—

হৃদয়েই যদি হৃদয় নাপায়
হৃদয়ে বিচাৰে হৃদয় কিয়?
মিলে দুটি প্ৰাণ কোটিৰ মাজত,
অৰ্থ বিহীন সিও নে প্ৰিয়? (শেৱালি)

নিজৰাই নৈলৈ আৰু নৈয়ে সাগৰলৈ বৈ গৈ মিলি যাবলৈ বিচাৰে। সমধৰ্মী সকলো বস্তুৱে একত্ৰ হবলৈ বিচৰাটো স্বাভাৱিক কথা। মানুহৰ মনেও সমধৰ্মী

মনৰ লগত মিলিবলৈ আগবাঢ়ি যায়। মনৰ এই সমধৰ্মী গুণবোৰৰ সৃষ্টি সম্পৰ্কে জ্যোতিষে সুন্দৰ ব্যাখ্যা দিয়ে।

মানৱ মনৰ ওপৰত গ্ৰহ-নক্ষত্ৰাদিৰ প্ৰভাৱ বিপুল। জ্যোতিষ মতে গ্ৰহৰ প্ৰভাৱতেই বিভিন্ন মানুহৰ মনত বিভিন্ন ভাৱ আৰু ৰুচিৰ সৃষ্টি আৰু উৎকৰ্ষ ঘটে; যেনে, কোনো গ্ৰহৰ প্ৰভাৱত জন্ম লাভ কৰা লোক হয়তো প্ৰেমিক, ধাৰ্ম্মিক আৰু পৰাক্ৰমী হয়, আৰু অন্য কোনো গ্ৰহৰ প্ৰভাৱত জন্ম লাভ কৰা লোক আকৌ সমাজৰ নিৰক্তিভাজন, পাপমতি আৰু দুৰ্ব্বলমনা হয়। কোনোৱে মাছ, মাংস, কণী, গাখীৰ আদি ভাল নাপায়—অন্য কিছুমানে আকৌ এইবোৰৰ নামত পগলা হোৱাদি হয়। কিছুমানে জনহিতকৰ কাৰ্য্য আৰু চিন্তাতে জীৱন কটায়, অন্য কিছুমানে আকৌ পৰশ্ৰীকাতৰ হৈ অহৰহ পৰৰ দোষ খোচৰাতে ৰত থাকে। এনে লোকে, দেখা গৈছে যাব দৈ-গাখীৰ খালে পেট কামোৰে আৰু মৌ খালে বমি হয়! কোনোৱে আকৌ ওজাপালি গীত বা ভাগৱত-পাঠ শুনিবলৈ গৈ বাহিৰা গল্প-গুজৱতে সময়খিনি কটায়, অন্য কোনোৱে একান্ত মনে সেইবোৰ শুনি বিভোল হয়। মানুহৰ স্বভাৱৰ এনেবোৰ গুণ গ্ৰহৰ প্ৰভাৱতে হয় বুলি জ্যোতিষী পণ্ডিতসকলে কয়।

গ্ৰহবোৰৰ ভিতৰতো আকৌ মিত্ৰতা আৰু বৈৰিতা আছে। যি যি গ্ৰহৰ ভিতৰত মৈত্ৰী ভাব আছে সেই সেই গ্ৰহৰ প্ৰভাৱত জন্মা লোকসকলো পৰস্পৰে মিত্ৰভাবাপন্ন, আৰু অৰিভাবত অৱস্থিত গ্ৰহবোৰৰ দৰেই শত্ৰুভাবাপন্ন হয়। বিয়াৰ আগতে গ্ৰহৰ মিল-অমিলৰ এইবোৰ কথা গণনাৰ দ্বাৰা নিৰ্ণয় কৰাকে দৰা-কন্যাৰ জোৰা চোৱা বা যোটক-শুদ্ধি বিচাৰ কৰা বোলে। সমগুণবিশিষ্ট বা মিত্ৰভাবাপন্ন মনৰ মাজতহে মিলন সম্ভৱ। নহলে জোৰ কৰি মিলন ঘটালে সি ছাগ আৰু বাঘৰ অথবা সাপ আৰু নেউলৰ মিলনৰ দৰে অসম্ভৱ কাৰ্য্য হয়।

চুম্বকে লো আকৰ্ষণ কৰে। মাধ্যাকৰ্ষণ শক্তিয়েও পৃথিৱীৰ বুকুলৈ দূৰৰ বস্তু টানি আনে। সমগুণসম্পন্ন মনেও সেইদৰে তদনুৰূপ মনক আৰ্ষণ কৰে। এই আকৰ্ষণৰ ফলতে সৃষ্টি হয় বন্ধুত্বৰ; তেতিয়াই ঘটে দুটি পৃথক মনৰ মধুৰ মিলন নৰ-নাৰীৰ মিলনৰ গুৰিতো আছে এই আকৰ্ষণ।

যিদিন হস্তে চকু চাট মাৰি
তুমি উজ্জ্বলিলা মোৰ;

সেই দিন ধৰি যেন নিলা হৰি
তিল তিলক'ই সকলোবোৰ।
তিল তিলক'ই হৰিলা বিশ্ব
তিলোত্তমা হৈ কৰিলা নিঃস্ব
কাঢ়িলা জোনৰ মুখ;
আকাশৰ কোলা কৰিলা উদং
বসন্তৰ নিলা মনৰ ৰং
নৈ-ৰ নথলা সুখ। —শেৱালি

এনেকুৱা যি আকৰ্ষণে এজনৰ মনক অন্যজনৰ মনৰ পিনে আকৰ্ষণ কৰে তাকেই প্ৰেম আখ্যা দিয়া যায়। প্ৰেমৰ সাধাৰণ অৰ্থ ভাল পোৱা বা অন্তৰৰ আকৰ্ষণ। প্ৰেমৰ তত্ত্ব বিচাৰি নানা জনে নানা সময়ত নানা কথাৰ অৱতাৰণা কৰিছে। ধৰ্ম-পিপাসুসকলৰ মতে পৰমাত্মা বা স্বয়ং ভগৱানৰ পৰাই জীৱাত্মা বা জীৱসকলৰ সৃষ্টি হৈছে, তাক সেই বাবেই, মাক-বাপেকৰ ঘৰখনে বিয়া দিয়া ছোৱালীৰ মন আকৰ্ষণ কৰি থকাৰ দৰে, পৰমাত্মাই জীৱাত্মাক আকৰ্ষণ কৰি থাকে। সেই আকৰ্ষণেই প্ৰাণীসকলৰ কাৰ্য্যৰ মাজেদি নানা প্ৰকাৰে প্ৰকাশ পায়। গতিকে প্ৰেম বা প্ৰীতিৰ কথাটোও ব্যাখ্যা কৰা তেনেই উজু নহয়।

সংসাৰৰ সাধাৰণ লোকৰ মতে বিপৰীত লিঙ্গৰ প্ৰতি বিপৰীত লিঙ্গৰ যি জৈৱিক আকৰ্ষণ সেয়ে প্ৰেম। সহজ কথাত নাৰীৰ প্ৰতি পুৰুষৰ আৰু পুৰুষৰ প্ৰতি নাৰীৰ অথবা স্ত্ৰীলিঙ্গৰ প্ৰতি পুংলিঙ্গৰ আৰু পুংলিঙ্গৰ প্ৰতি স্ত্ৰীলিঙ্গৰ যি আকৰ্ষণ বা আন্তৰিক প্ৰীতি সেয়ে প্ৰেম। পুৰুষ-নাৰীৰ সঙ্গমৰ বাসনা বা মিলনৰ ইচ্ছাতে প্ৰেমৰ জন্ম। এই বাসনা সৃষ্টিৰ মূল কাৰণ। ই সকলো প্ৰাণীৰ জন্মগত প্ৰবৃত্তি। আধুনিক মনোবিজ্ঞানমতে ছমহীয়া শিশুৰো অন্তৰত এই যৌনাকৰ্ষণ প্ৰচ্ছন্ন থাকে, আৰু কেতিয়াবা ই কাৰ্য্যতো ফুটি উঠে। গতিকে ইয়াৰ বৰ্ত্তমানতে সৃষ্টিৰ বিকাশ বুলি সহজে ধৰা যায়।

সঙ্গম-বাসনাৰ জন্ম সম্পৰ্কে বৃহদাৰণ্যক উপনিষদত এইদৰে কোৱা আছে—আদিম প্ৰজাপতি যেতিয়া অকলে আছিল, জগতত দ্বিতীয় প্ৰাণী এটাৰ যেতিয়া জন্মই হোৱা নাছিল, তেতিয়া এদিন তেওঁৰ অন্তৰত ৰমণৰ প্ৰবল আকাঙ্ক্ষা জাগি উঠিল। কিন্তু উঠিলে কি হ'ব? তেওঁ যে নিঃসঙ্গ! ৰতি-লালসাৰ তাড়নাত থাকিব নোৱাৰি তেওঁ তেতিয়া নিজকে দুভাগত বিভক্ত কৰিলে আৰু

এভাগক পতি আৰু অন্য ভাগক পত্নী আখ্যা দিলে। তেতিয়াৰ পৰাই পত্নী হ'ল নামে-কামে পতিৰ অৰ্দ্ধাঙ্গিনী আৰু যৌন মিলনৰ সঙ্গিনী।

খ্ৰীষ্টধৰ্ম্ম মতেও সৃষ্টিৰ প্ৰথম নাৰী ইভৰ জন্ম সেই একেদৰেই হৈছিল। হেনো—ভগৱানে সৃষ্টিৰ বিলাসত মগ্ন হৈ এদিন খেলাৰ ছলেৰেই আদাম নামে পুৰুষৰ সৃষ্টি কৰিছিল। তাৰ পাচত তেওঁ আদামক এখন বিতোপন ফুলনিত খেলি থাকিবলৈ দিছিল। আদামে খেলে। খেলে সঁচা, কিন্তু খেলাৰ ৰং-ধেমালিত যেন তেওঁৰ অন্তৰ সম্পূৰ্ণৰূপে ফুলি নুঠে। আদামে আনন্দত হাঁহে, কিন্তু সেই হাঁহিভৰা মুখতো সদায় যেন কিবা এক ম্লানিমাই বেখাপাত কৰে।

ভগৱানে এদিন আহি তেওঁৰ চেনেহৰ পুতলিৰ এই অৱস্থা দেখিলত তেওঁৰ অন্তৰ কৰুণাত বিগলিত হ'ল। তেওঁ দিব্য-দৃষ্টিৰে চাই বিচক্ষণ চিকিৎসকৰ দৰে আদামৰ অন্তৰৰ ব্যাধি ধৰি পেলালে আৰু তাৰ দূৰীকৰণৰ বাবেও যথাযোগ্য ব্যৱস্থা কৰিলে। ভগৱানে আদামৰ বুকুৰ তলৰ কামি-হাড় এডাল অতৰ্কিতে পুতুকৈ ডাঙিলৈ তাৰ পৰাই এগৰাকী দীপ লিপ ধুনীয় নাৰী সৃষ্টি কৰিলে। এই নাৰীমূৰ্ত্তিৰেই নাম হ'ল ইভ। ইভক দেখি কিয় জানে আদামৰ মন অতৰ্কিতেই নাচি উঠিল। দুয়ো ৰং-ধেমালিৰ পুলকভৰা আনন্দত দিন নিয়াবলৈ ধৰিলে এই ইভেই ক্ৰমাৎ হল গৈ আদামৰ সুখ-দুখৰ সগৰী, জীৱন-তোষিণী প্ৰাণাধিকা পত্নী (better half)।

গ্ৰীক দাৰ্শনিক প্লেটোৱে কৈছিল—পুৰুষৰ দুষ্টামী দেখি ঈশ্বৰে তাক দুটুকুৰা কৰি পেলালে আৰু এইদৰেই সৃষ্টি হ'ল পুৰুষ আৰু নাৰীৰ। আখ্যানটো আৰু অলপ বহলাই কোৱা যাওক। সৃষ্টিকৰ্ত্তাই প্ৰথমে এটা কিম্ভূত-কিমাকাৰ অদ্ভুত জীৱ সৃজন কৰিছিল। তাৰ আছিল দুযোৰা হাত, দুযোৰা ভৰি, দুটা মুৰ আৰু অৱয়বটো সেই অনুপাতে বিশাল। বলৰ দৰ্পত সি হৈ পৰিল তেনেই উৎশৃঙ্খল ষাঁড়ৰ দৰে উদণ্ড। গুৰু-গোসাঁই একো নামানি উদ্ভণ্ডালি কৰি ফুৰাত দেৱতাসকলৰ অনুৰোধত এদিন ভগৱানে সেই জন্তুটোক ধৰি হাতেৰে ছিৰি দুফাল কৰিলে আৰু দুয়ো ফালৰ পৰা দুটা প্ৰাণী সাজিলে। তাতেই সৃষ্টি হ'ল পুৰুষ আৰু নাৰী। সেয়েহে পুৰুষ আৰু নাৰীৰ পৰস্পৰৰ প্ৰতি পৰস্পৰৰ ইমান আকৰ্ষণ—ইমান টান। তেতিয়াৰেপৰা নৰ-নাৰীয়ে পৰস্পৰৰ সঙ্গ লভিবলৈ ইমান ব্যাকুল হৈ পৰিল। সঙ্গৰ সঘন সংস্পৰ্শ বা সান্নিধ্যই ঘনিষ্ঠতা আনে আৰু ঘনিষ্ঠতাই

গাঢ় হৈ প্ৰেমত পৰিণতি লভে। পুৰুষ আৰু নাৰীৰ পাৰ্থিব প্ৰেমেও ৰতি-সঙ্গমৰ মাজেদি পূৰ্ণতা লভিবলৈ বিচাৰে।

আধুনিক যুগৰ মনস্তাত্ত্বিক পণ্ডিত ফ্ৰইড, ফৰেল আদিৰ মতেও সকলো প্ৰেমৰ মূল কাৰণ যৌন-লিপ্সা (Libido)। সেই হেতুকেই প্ৰেমৰ পৰা ওপজা নতুবা প্ৰেমকেই মূল বস্তু হিচাপে লৈ লিখা নাটক, উপন্যাস, কবিতা, গল্প আদি সাহিত্যৰো আদি মূল যৌন ক্ষুধা। (Poetry, drama, romance, chivalry are sublimated products of libido and would have no existence in a libidoless world—Frend)। যৌন-সম্বন্ধ নথকা পৃথিৱীত এই বোৰৰ ঠাই নাই। নগ্ন যৌন-ক্ষুধাকো যে সাধনাৰ মাজেদি, গাখীৰ উতলাই ঘিউ তৈয়াৰ কৰাৰ দৰে, এক অপাৰ্থিব মোহত পৰিণত কৰা যায়—তাক প্ৰাচ্যৰ ঋষিসকলে প্ৰমাণ কৰিছে। পাশ্চাত্যৰ পণ্ডিতসকলে তাক মানিবলৈ টান পায়। সি অন্য কথা।

সাগৰক উদ্দেশ্য কৰি যেতিয়া নৈ তিৰ্য্যক গতিত পৰ্ব্বতৰপৰা ভৈয়ামলৈ নামি আহে তেতিয়া তাত প্ৰতিবন্ধক নৰজে। বৰং প্ৰতিবন্ধকে খৰস্ৰোতা তটিনীৰ জলধাৰাক ক্ৰোধাবিষ্ট কৰি তাত শক্তিহে দান কৰে। ঠিক সেই-দৰে নৰ-নাৰীৰ অন্তৰৰ মিলনাকাঙ্ক্ষী বাসনাও প্ৰতিবন্ধকৰ সম্মুখীন হলে উত্তৰোত্তৰ শক্তিশালী হৈ উঠে। প্ৰতিবন্ধকৰ মাজেদি অপ্ৰাপ্তিৰ বেদনা আৰু ক্ষোভত মানৱ মনে যি দুৰ্ব্বাৰ ঝঙ্কাৰ তোলে তাতে ফুটি উঠে বিশ্বনিয়ন্তাৰ বিনন্দীয়া সৃষ্টিৰ অসীম ৰহস্য। এই বেদনাই সৃষ্টিৰ মূল মন্ত্ৰ। ৰবি ঠাকুৰৰ কথাত—এই অসন্তোষেই মানুহক কৰ্ম্ম-ৰত কৰি ৰাখিছে আৰু কৰিক কৰ্ম্মৰ সঙ্গীত গাবলৈ শিকাইছে। সন্তোষ বা পৰিতৃপ্তি যতই লোভনীয় বা কাম্য নহওক—ই কাৰ্য্য আৰু কাব্য উভয়ৰে ব্যাঘাত ঘটায়। যিদৰে 'অ' বৰ্ণমালাৰ আদি অক্ষৰ অথচ ইয়ে সমস্ত ব্যঞ্জন বৰ্ণৰ লগত সংযুক্ত, অসন্তোষ আৰু অপৰিতৃপ্তি ঠিক সেইদৰে সৃষ্টিৰ আৰম্ভত বৰ্ত্তমান আৰু ইও সমস্ত মানৱ-প্ৰকৃতিৰ লগত সংশ্লিষ্ট। হাঁহি আৰু চকুলোৰ মিহলি সোঁতত মানৱে প্ৰেমৰ ভটীত উঠি জীৱন-যাত্ৰা আৰম্ভ কৰে।

ভগৱানৰ লগত জড়িত কৰি দি প্ৰেমক কেতিয়াবা অপাৰ্থিব বুলি সজোৱা যায় যদিও, তাৰ মূল বস্তু যে ইন্দ্ৰিয় পৰিতৃপ্তি বা যৌন-বিহাৰ তাক অস্বীকাৰ কৰা টান। একালে যেনেকৈ উন্নীত আৰু পৰিত্ৰীকৃত হৈ ই ভগৱদ্‌ভক্তি

আখ্যা পায়, অন্য পিনেদি সাধাৰণ ক্ষেত্ৰত ইয়াক 'ইন্দ্ৰিয় পৰিতৃপ্তিৰ মাৰ্জিত বুদ্ধি' বুলিও গণ্য কৰা যায়। যোগীৰাজ সদাশিৱেও পোনতে নিজৰ জিতেন্দ্ৰিয়-তাৰ কথা ৰবকৈ কৈ থাকি শেষত ভগৱান কৃষ্ণৰ মোহিনী নাৰীৰূপ দেখি বিচলিত হৈছিল! অকল বিচলিত হৈয়ে থকা নাছিল, তেতিয়া—"সবে যোগ ধ্যান গৈল, কন্যাক মাতিবে লৈল, প্ৰাণেশ্বৰী চাপা মোৰ পাশ।" তাৰ পাছত আকৌ শিৱই "স্ত্ৰী বুলি বৃন্দক চুম্বন্ত আঙ্কোৱালি; দেখিয়া হাসন্ত নাৰী ৰূপে বনমালী।" ইমানতো জানো যোগীৰাজ ত্ৰিলোচনৰ অন্তৰত ইন্দ্ৰিয় পৰিতৃপ্তিৰ বুভুক্ষা সমূলি নাছিল বুলি কবৰ বাট থাকে ?

দেৱাদিদেৱ মহাদেৱৰ দৰেই যুগাৱতাৰী পুৰুষ শ্ৰীৰামচন্দ্ৰই সীতাৰ অন্বেষণত ঘুৰোঁতে সীতাৰ চিন্তাত দিক্‌বিদিক্ পাহৰি অশোক গছ জুপিকে জানো সীতা-ভ্ৰমত সাবট মাৰি ধৰা নাছিল ? বিহত কাতৰ হৈ প্ৰেমিক-প্ৰেমিকাই আৰু যে কত কি নকৰে! সাহিত্যত তাৰ অসংখ্য উদাহৰণ আছে। মুঠ কথা, সীতাক পাবৰ কাৰণে বিৰহী ৰামচন্দ্ৰ শিৱৰে ব্যাকুল হৈ পৰিছিল, বিৰহৰ তেনে পৰিস্থিতিত সকলো লোকেই প্ৰাণ এক ধৰাণে ব্যাকুল হব। মিলনৰ প্ৰতিবন্ধকে অথবা বিচ্ছেদে প্ৰেমিক প্ৰেমিকাৰ অন্তৰক নিষ্ঠুৰভাৱে আঘাত কৰে। তেতিয়াই সৃষ্টি হয় সাহিত্যৰ, তেতিয়াই ৰচিত হয় গীত, নাটক, উপন্যাস, গল্প আদি আৰু তেতিয়াই জন্ম লাভ কৰে কলা, চিত্ৰ, ভাস্কৰ্য্যাদি। কবিৰ কাপেদি তেতিয়া আপোনা-আপুনি ওলায়—'পদুম ফুলৰ পাপৰি নহয়, পাপৰি প্ৰাণৰ মোৰ। শোকৰ নহয়, দুখৰ নহয়, প্ৰেমভৰা চকুলোৰ।" চহা যুৱক-যুৱতীৰ মুখেদি তেতিয়া ফুটি ওলায়—

হাঁহে হৈ চৰিম গৈ তোমাৰে পুখুৰীত
পাৰ হৈ চৰিম গৈ চালত।
ঘামে হৈ সোমাম গৈ তোমাৰে শৰীৰত
মাখি হৈ চুমা দিম গালত॥

—এনে ধৰণৰ অনেক গীত। তাৰেই আলাত ভক্ত কবিয়ে অহেতুকী প্ৰীতিৰ নিদৰ্শন স্বৰূপে কান্দি কান্দি নিবেদন কৰে—

ও ৰূপ মাধুৰী, পাসৰিতে নাৰি, কি দিয়ে কৰিব বশ;
তুমিসে তন্ত্ৰ, তুমিসে মন্ত্ৰ, তুমি উপাসন ৰস।

তেনে পৰিস্থিতিতেই ৰোমাণ্টিক প্ৰেমিকে প্ৰাণৰ আৱেগত কৈ উঠে—

"O Romeo, Romeo! wherefore art thou Romeo? Deny thy father and refuse thy name for my sake; or if you wilt not, be but my sworn love, and I no longer will be a Capulet."

এইদৰে প্ৰেমৰ বন্দনা যুগে যুগে দেশে দেশে মানৱৰ বিচিত্ৰ কাৰ্য্যাৱলীৰ মাজেদি হৈ আহিছে আৰু হৈ থাকিব। প্ৰেমিক প্ৰেমিকাই যৌৱনৰ চঞ্চল বতাহ গাত লাগিলে সদায়ে নিজক সৃষ্টিৰ আদি মানৱ-মিথুন ভাবি লৈ পুৰণি পৃথিৱীত নতুনৰ ভাও দি থাকিব। ইয়াতেই সৃষ্টিৰ মাহাত্ম্য – ইয়াতেই প্ৰেমৰ গৌৰৱ! আমাৰ আশাবাদী কবি বেজবৰুৱাই সেই বাবেই কৈছিল—

প্ৰেমত ঘূৰিছে ভূমণ্ডল
প্ৰেমত ফুলিছে শতদল।

দাৰ্শনিক কবি ওমৰেও জীৱনৰ জয়গীত গাই উচ্চকণ্ঠে কৈছিল—

পিয়লাটি মোৰ ধৰাহি মুখত
আহা প্ৰাণ-সখা সময় নাই।
পাখি মেলি সৌ জীৱন পখীটি
অনন্তৰ পিনে উৰি যে যায়।
আজিয়েই দিয়া ধৰালে কিয়
কোনে জানে মোৰ কালি কি হ'ব?
হাজাৰ হাজাৰ বছৰ বিয়পা
হয়তো অতীতে সামৰি থব!

গুৱাহাটী
১৯৪১

নাৰীৰ আকৰ্ষণ

যুগ যুগ ধৰি পুৰুষে নাৰীৰ বন্দনা কৰি আহিছে। এই বন্দনা ভক্তই দেৱতাৰ আগত উচ্চৈস্বৰে গোৱা বন্দনাৰ দৰে বন্দনা নহয়; ই মৌন বন্দনা। পুৰুষৰ সকলো কাৰ্য্যৰ মাজেদি এই বন্দনাৰ সুৰ বাজি থাকে; সাহিত্য, কাব্য' চিত্ৰ, ভাস্কৰ্য্য আদি সকলো সুকুমাৰ কলাৰ মূলত আছে নাৰী। নাৰীয়ে পুৰুষক সদায় সকলো কামতে পৰোক্ষ বা প্ৰত্যেক্ষভাৱে উৎসাহ আৰু উদ্দীপনা দি থাকে। নাৰীপ্ৰেম বাদ দিলে সমস্ত দুনিয়া নীৰস মৰুভূমিত পৰিণত হ'ব। সেয়েহে এক শ্ৰেণীৰ বৈষ্ণৱ কবিয়ে নাৰী মূৰ্ত্তিতেই তেওঁলোকৰ অন্তৰৰ পূত প্ৰেম ঢালি দি ৰসময় সাহিত্যৰ সৃষ্টি কৰিছিল। ভক্ত কবি চণ্ডীদাসে ৰামী নামৰ ধুবুনী এজনীৰ প্ৰেমৰ মাজেদিয়ে স্বয়ং ভগৱানৰ ৰূপ দেখিছিল আৰু সেইবাবে তেওঁ সেই ধুবুনীজনীকেহে উদ্দেশ্য কৰি গাইছিল—

শুন ৰজকিনী ৰামি!
ও দুটি চৰণ শীতল জানিয়া
শৰণ লইনু আমি।

আৰু সেই ৰামীকেহে নি যাজন, ভজন, সন্ধ্যা, গায়ত্ৰী আদি সকলোৰে মূলবস্তু বুলি গ্ৰহণ কৰিছিল—

তুমি ৰজকিনী, আমাৰ ৰমণী, তুমি হও পিতৃমাতৃ
ত্ৰিসন্ধ্যা যাজন, তোমাৰি ভজন, তুমি বেদমাতা গায়ত্ৰী।

গল্প, উপন্যাস; কাব্য আদিৰ কথা বাদ দি বাস্তৱ জীৱনলৈ আহিলেও দেখা যায় যে নাৰীৰ সান্নিধ্য আৰু নাৰীৰ প্ৰেৰণাতেই বিশ্বৰ বেছিভাগ শ্ৰেষ্ঠ বস্তু নিৰ্মিত হৈছে। তাজমহল নাৰী প্ৰেমৰেই নিদৰ্শন। নাৰীৰ প্ৰেমত মতলীয়া হৈয়ে নৰকাসুৰে এনে ৰাতিৰ ভিতৰতে অম্বৰৰ আলি বান্ধি উলিয়াইছিল; শ্ৰীৰামচন্দ্ৰই অতল বাৰিধিত প্ৰকাণ্ড সেতু বান্ধিছিল; সম্ৰাট অষ্টম এডোৱাৰ্ডে মহামূল্য ৰাজসিংহাসন ত্যাগ কৰিছিল।

মহাবীৰ নেপোলিয়ন বোনাপাৰ্টিৰ জীৱনৰ এটা কাহিনীয়ে পুৰুষৰ জীৱনৰ ওপৰত নাৰীৰ প্ৰভাৱ সম্বন্ধে কিছু ইঙ্গিত দিয়ে। নেপোলিয়ন বোনাপাৰ্টিৰ

প্ৰেমিকাৰ নাম আছিল জোচেফাইন। জোচেফাইনৰ প্ৰতি নেপোলিয়নৰ প্ৰেমৰ কথা ভাবিলেই বুজিব পাৰি যে প্ৰেম—এটি উত্তেজিকা শক্তিৰ নামান্তৰ মাথোন।

জোচেফাইন আছিল নেপোলিয়নতকৈ ছয় বছৰে ডাঙৰ। দুয়োৰে যেতিয়া প্ৰথম সাক্ষাত হয় তেতিয়া জোচেফাইনৰ বয়স ৩৩ বছৰ আৰু নেপোলিয়নৰ মাত্ৰ ২৭ বছৰ। তাৰ উপৰিও জোচেফাইন আছিল এগৰাকী বিধবা তিৰোতা। দেখাতো ধুনীয়া বুলিব নোৱাৰি। দাঁত পোকে খোৱা, দুটি শিশুৰ মাক। যি নহওক, এই হেন জোচেফাইনেই নেপোলিয়নৰ মন আকৰ্ষণ কৰি তেওঁৰ সমস্ত হৃদয় দখল কৰি লৈছিল। তেওঁৰে প্ৰেমত পৰি মহাবীৰ নেপোলিয়নৰ দৰে বীৰো এদিন তেনেই বলিয়া হোৱাৰ দৰে হৈছিল।

সময়ৰ মূল্য বুজাত নেপোলিয়ন এগৰাকী অদ্বিতীয় লোক আছিল বুলি আজিও খ্যাতি আছে। তেওঁ নিজেই কৈছিল—মই হয়তো কেতিয়াবা যুদ্ধত হাৰিব পাৰো; কিন্তু সময় হলে কোনো দিন মই এক মুহূৰ্ত্তও হেৰুওৱা নাই (I may lose battles but no one will ever see me lose minutes)। আচৰিত কথা এই যে নেপোলিয়নে তুমুল সংগ্ৰামৰ মাজত সৈন্য পৰিচালনাত সম্পূৰ্ণৰূপে ব্যস্ত থাকিও নিতৌ একোখনকৈ প্ৰেম-পত্ৰ জোচেফাইনলৈ লিখিবলৈ সময় পাইছিল। তাৰে এখন চিঠিত এইদৰে আছে—

My dear Josephine,

You have inspired me with a love which has taken away my reason—I can't eat; I can't sleep. I don't care for my friends; I don't care for my glory; I value victory only because it pleases you. If it were not for that, I should leave the army and hurry back to Paris to fling myself at your feet.

You have inspired me with a limitless love; you have filled me with an intoxicating frenzy. Never an hour passed without my looking at your portrait and never an hour passes without my covering it with kisses.—অৰ্থাৎ "হে মোৰ প্ৰিয়তমা জোচেফাইন, তুমি মোক এনে এটি প্ৰেমত মতলীয়া কৰিছা যাৰ উন্মাদনাত মই খাবলৈ পাহৰোঁ শুবলৈ পাহৰোঁ! মই মোৰ বন্ধু-বান্ধৱক ভ্ৰূক্ষেপ নকৰোঁ। গৌৰৱৰ আকৰ্ষণেও মোক টনাব নোৱাৰে। যুদ্ধ-বিজয়ৰ গৌৰৱ মই এই কাৰণত মাথোন পাবলৈ বিচাৰোঁ

যে ই তোমাক আনন্দ দিয়ে। সেয়ে নোহোৱা হ'লে যুদ্ধ জয়ৰ আশা এৰি মই আজিয়ে পেৰিচলৈ ঘূৰি গৈ তোমাৰ পদত নিজক সমৰ্পন কৰিলোঁহেঁতেন।

"তুমি মোক কিবা এক অসীম প্ৰেমৰ ৰাগীত মতলীয়া কৰি ৰাখিছা। এনে এক ঘণ্টা দিনটোত নাযায়—যেতিয়া মই মোৰ বুকুৰ মাজত সুমাই ৰখা তোমাৰ ছবিটো নাচাওঁ; এনে এক ঘণ্টা সময় নাযায় যেতিয়া মই সেই সুন্দৰ সৰু ছবিটোক চুম্বনৰ পৰশ নিদিওঁ।"

শ্বেলী, কীটচ, বাইৰণ, ওৱৰ্ডচৱৰ্থ আদি ৰোমাণ্টিক যুগৰ ইংৰাজ কবি-সকলৰ জীৱনত এনেকুৱা প্ৰেমৰ কাহিনী ভূৰি ভূৰি পোৱা যায়। ফেনী ব্ৰন নামৰ প্ৰেয়সীৰ প্ৰতি থকা গুপ্ত প্ৰণয়ৰ বাগীয়েই আছিল কবি কীটচৰ কাব্য-সাধনাৰ উত্তেজিকা শক্তি। তেওঁৰ দৰে বাকী কবিসকলৰো অন্তৰত এগৰাকী নহয় এগৰাকী নাৰীয়ে একপ্ৰকাৰে নহয় একপ্ৰকাৰে প্ৰভাৱ বিস্তাৰ কৰি আছিল।

একো গৰাকী নাৰীয়ে আকৌ একাধিক জগদ্বিখ্যাত পুৰুষৰ ওপৰতো যিদৰে আধিপত্য বিস্তাৰ কৰি গৈছে—ভাবিলে আচৰিত নহৈ নোৱাৰি। উদাহৰণ স্বৰূপে ক্লিয়'পেট্ৰাৰ কথালৈকে উল্লেখ কৰিব পাৰি। তেওঁ মাত্ৰ ৩৯ বছৰ জীয়াই আছিল; কিন্তু সেই চোঁতৰ কালৰ ভিতৰতে তেওঁ তিনিজনা পুৰুষৰ পত্নী হৈ তিনিওকো মৃত্যুৰ মুখলৈ পেলাই শেষত নিজেও নিয়তিৰ কৰাল গ্ৰাসত পৰে।

ক্লিয়পেট্ৰা তেতিয়া আছিল—আলেকজেণ্ড্ৰিয়াত। সেই সময়ত নানা কাৰণত তেওঁৰ জীৱন বিপদাপন্ন হোৱাত তেওঁ এজনা সম্বন্ধীয়া ভায়েককেই বিয়া কৰাবলৈ বাধ্য হয়। সেই সময়ত ৰোমৰ বিখ্যাত অধিনায়ক চিজাৰে আলেক-জেন্ড্ৰিয়া আক্ৰমণ কৰি ক্লিয়পেট্ৰাক তেওঁৰ আগলৈ আনিবলৈ আদেশ দিলে। ক্লিয়পেট্ৰাৰ পেটে পেটে বিজয়ী বীৰ চিজাৰৰ সন্মুখলৈ আহিবলৈ হাবিয়াহ হৈছিল, কিন্তু তেওঁৰ স্বামীৰ অনুমতি নথকাত সেইটো সহজে সম্ভৱ নহ'ল।

অৱশেষত তেওঁ কলে-কৌশলে চিজাৰৰ ওচৰলৈ আহিল যে আহিলেই। ৰূপৱতী নাৰীৰ অন্তৰত ৰূপৰ গৰ্ব্ব অলপ নহয় অলপ থাকেই। পুৰুষৰ দুৰ্ব্বলতা তেওঁলোকে জানে আৰু সেইবাবেই যিমান শক্তিশালী পুৰুষটো নহওক—নাৰীৰ ৰূপৰ জোৱাৰত উটি নোযোৱাকৈ নাথাকে বুলি তেওঁলোকে ভাবে। যি হওক, ক্লিয়পেট্ৰেয়ো এখন সৰু নাৱত উঠি কাৰ্পেটেৰে নিজক মেৰিয়াই তাৰ ভিতৰত বাহি ললে। তাৰ পিছত চাকৰ এটাৰ কান্ধত উঠি নাৱৰপৰা নামি চিজাৰৰ

ওচৰলৈ গ'ল। চিজাৰৰ ওচৰ পাই তেওঁ কার্পেটৰ ভিতৰৰপৰা ওলাই নানা ভঙ্গিমাত আকাশী পৰিৰ দৰে নৃত্য কৰিবলৈ ধৰিলে। ক্লিয়পেট্ৰাৰ ৰূপ দেখি চিজাৰ তেনেই মুগ্ধ হ'ল। হবৰ কথাও! চিজাৰৰ বয়স আছিল সেই সময়ত ৫৪ বছৰ আৰু ক্লিয়পেট্ৰাৰ আছিল মাত্ৰ একৈশ বছৰ। চিজাৰে ক্লিয়পেট্ৰাক পত্নীৰূপে গ্ৰহণ কৰিলে। আমাৰ সুকবি নাৰায়ণ দেৱে কৈছিল—

কোমল ঘাঁহ দেখিলে বলদৰ বাঢে বল।
যুৱতী দেখিলে হয় পুৰুষ পাগল।

এই ক্ষেত্ৰতো সেয়ে হ'ল!

ইফালে ক্লিয়পেট্ৰাৰ পূৰ্ব্বৰ স্বামীয়ে এই খবৰ পাই ঈৰ্ষাত ক্লিয়পেট্ৰাক হত্যা কৰিবলৈ চেলু বিচাৰি ফুৰিবলৈ ধৰিলে। এদিন সেইদৰে ফুৰোঁতে চিজাৰে জানিব পাৰি তেওঁক শিশুপাল খেদা দি খেদি নিলে। তৎ-মৎ নাপাই নাৱত উঠি পলাই যাওঁতে বেচেৰা সাগৰত নাও ডুবি মৰিল।

ইতিমধ্যে চিজাৰৰ ঔৰসত ক্লিয়পেট্ৰাৰ এটি ল'ৰা উপজিল। চিজাৰৰ এগৰাকী বিবাহিতা পত্নী আছিল। ৰোমৰ কঠোৰ ধৰ্ম্মনীতি মতে সেই সময়ত কোনেও এগৰাকীতকৈ বেছি পত্নী বিয়া কৰাব নোৱাৰিছিল। চিজাৰ তেতিয়া বিমোৰত পৰিল। অৱশেষত তেওঁ এটা বুধি সাজিলে। তেওঁ ধৰ্ম্মযাজক-সকলক হাত কৰি লৈ তেওঁলোকৰ হতুৱাই প্ৰচাৰ কৰাই দিলে—যে চিজাৰ মানুহ নহয়। তেওঁ আমন (Ammon)বা সূৰ্য্য দেৱতাৰ অৱতাৰ। এটি পুত্ৰ জন্মাৰৰ কাৰণেহে তেওঁ পৃথিৱীত অৱতীৰ্ণ হৈছে।

মানুহে কিছুদিন এই কাহিনী শুনিলে। কিন্তু হাজাৰেই হওক—মিছা কথাৰ ঠেং চুটি! চিজাৰৰ ছলনা বুজিবলৈ ৰোমবাসীসকলৰ সৰহ দিন নালাগিল। তেওঁলোকে চিজাৰক ধৰি হত্যা কৰিলে।

এতিয়া মাৰ্ক এন্টনিয়ে ৰোমৰ হৰ্ত্তাকৰ্ত্তা হ'ল! তেওঁ এবাৰ গৈ সসৈন্যে ইজিপ্তত বাহৰ কৰি আছিল। ক্লিয়পেট্ৰাই সেই খবৰ পাই আকৌ নতুন চিজাৰৰ সন্ধানত বাহিৰ হবলৈ স্থিৰ কৰিলে। তেওঁ এইবাৰ আৰু এটা অভিনৱ উপায় উলিয়ালে। তেওঁ ওচৰ-পাজৰৰ ধুনীয়া ধুনীয়া ল'ৰা-ছোৱালী এজাক গোটাই লৈ সিহঁতক বিতোপনকৈ সজালে আৰু নিজেও সাজি-কাচি সিহঁতৰ মাজত পাটৰাণীজনী হৈ ওলাল। আটায়ে গৈ ইজিপ্ত পালে।

এণ্টনিয়ে ক্লিয়পেট্ৰাৰ ৰূপৰ কাহিনী শুনি আছিল। আজি ক্লিয়পেট্ৰা নিজে গৈ তেওঁৰ ওচৰত হাজিৰ হোৱাত তেওঁ পোনতে হতভম্ব হোৱাৰ দৰে হৈছিল; কিন্তু ৰূপহী ক্লিয়পেট্ৰায়ে পোনেই ছলাহী কথাৰে তেওঁৰ ওচৰত আত্ম-নিবেদন কৰাত তেওঁ তেনেই মুগ্ধ হ'ল। ক্লিয়পেট্ৰাক তেওঁ আশ্ৰয় দি ৰাখি মনোমত-ভাৱে পত্নীৱৎ ব্যৱহাৰ কৰিলে। ক্লিয়পেট্ৰাৰ কাৰ্য্য সিদ্ধি হ'ল। তেওঁৰ ব্যৱহাৰ আৰু মোহিনীৰূপে এণ্টনিক তেনেই মোহ নিয়ালে। ক্লিয়পেট্ৰাক তেওঁ ইমানে ভাল পালে যে তেওঁক সমগ্ৰ এচিয়াৰ ৰাজ্যসমূহ এখন এখনকৈ উপহাৰ দিলে।

ৰোমত এণ্টনিৰ এই কামুকতাপূৰ্ণ বদান্যতাৰ বাতৰি বিয়পি পৰিল! যি ৰোমবাসীয়ে চিজাৰৰ দৰে পূজ্য নেতাকো হত্যা কৰিব পাৰে তেওঁলোকে জানো এণ্টনিক সুখে এৰিব? সকলোবোৰ লোক তেনেই খড়্গহস্ত হৈ উঠিল। এণ্টনিয়ে সকলো খবৰ পালে। উপায়ান্তৰ নাপাই তেওঁ শেহত ক্লিয়পেট্ৰাক শেহবাৰৰ কাৰণে আলিঙ্গন কৰি চৰুলো টুকি টুকিয়ে আপোন-ঘাতী হ'ল।

ঘটনা কিন্তু সিমানতে শাম নাকাটিল। সমগ্ৰ দেশে 'যত দোষ নন্দঘোষ' বুলি ক্লিয়পেট্ৰাকেই দোষিণী সাব্যস্ত কৰিলে। ক্লিয়পেট্ৰাই দেখিলে যে ৰূপ লাৱণ্যৰ এপাত অস্ত্ৰেৰে তেওঁ দেশৰ শতসহস্ৰ লোকৰ লগত যুঁজিব নোৱাৰে! সকলো ভাবি-চিন্তি তেওঁ শেহত নিজেও এণ্টনিৰ দৰে আত্মহত্যাৰ মাজেদিয়ে চিৰ-শান্তি লভিলে। এনেকুৱা ঘটনা জগতৰ বুৰঞ্জীত বিৰল।

নাৰীৰ-সৌন্দৰ্য্যৰ মাদকতা এনেকুৱাই। ই কেতিয়াবা অগ্নিয়ে পতঙ্গ ভস্ম কৰাৰ দৰে উদ্‌ভ্ৰান্ত প্ৰেমিকক ভস্মীভূত কৰে! কেতিয়াবা আকৌ সমিধ গছৰ গৰ্ভত থকা জুয়ে গছজোপাকে পুৰি ছাই কৰাৰ দৰে নাৰীৰ ৰূপে ৰূপৰ আধাৰ-কেই দুৰৱস্থাৰ কৰাল গ্ৰাসত পেলায়। হিন্দুসকলৰ মতে ত্যাগৰ দ্বাৰা যি নাৰী-ৰূপ পৰিশোধিত নহয় সি কেতিয়াও প্ৰেমৰ পূজাৰ্হ হব নোৱাৰে। মহাকবি কালিদাসৰ কুমাৰসম্ভৱত এই কথা স্পষ্ট হৈ উঠিছে। তাত উদ্ভিন্ন-যৌৱনা পাৰ্ব্বতীয়ে পোনতে নিজৰ ৰূপ-লাৱণ্যৰ দ্বাৰায়ে শিৱক কৰায়ত্ত কৰিবলৈ যত্ন কৰিছিল। যথাৰ্থতে তেওঁ তাত কিছুদূৰ অগ্ৰসৰো হৈছিল। অন্ততঃ তেওঁ অকাল-বসন্তৰ আবিৰ্ভাৱত নিজৰ ৰূপ-যৌৱনৰ জোৱাৰ তুলি শিৱৰ অন্তৰত এটা আলোড়ন তুলিবলৈ সমৰ্থ হৈছিল। কিন্তু হলে কি হব? যি শিৱ, যি মঙ্গলকৰ, যি জগতৰ হিতকাৰক—সি বাহ্যিকতাৰ সামগ্ৰী নহয়; সি অন্তৰৰ

বস্তু, ত্যাগৰ মাজেদি লাভ কৰিবলগীয়া বস্তু। সেয়েহে বাহ্যিক মোহৰ হেতু বা বিকাৰৰ কাৰণ শম্ভুৰ হাতত ধৰা পৰাত পুষ্পধনু কামদেৱ ভস্ম হব লগীয়া হৈছিল। সেয়েহে পাৰ্ব্বতীয়ে অন্তৰেৰে সৈতে নিজৰ ৰূপক ধিক্কাৰ দি ধ্যানৰ মাজেদি ফুটাই তোলা ৰূপেৰেহে পুনঃ শিৱক বশীভূত কৰিছিল। গতিকে নাৰীৰ ৰূপ বাহ্যিক আকৰ্ষণৰ বস্তু হলেও, যি নাৰী-সৌন্দৰ্য্য পুৰুষৰ কাৰণে মঙ্গলকৰ, সি নাৰীৰ অন্তৰৰ বস্তু। সিয়ে পুৰুষৰ কাৰণে হিতকাৰী উত্তেজিকা শক্তি; অন্তৰৰ অফুৰন্ত প্ৰেৰণা।

নাৰীৰ ভালপোৱা'ই যিদৰে পুৰুষক উদ্দীপনা যোগায়—সেইদৰে আওহেলায়ো নৈৰাশ্যৰ গভীৰ গুহালৈ ঠেলি দিয়ে। টলষ্টয়ৰ জীৱনৰ কাহিনীয়ে তাৰ দৃষ্টান্ত। বিৰাশী বছৰ বয়সত টলষ্টয়ে ঘৈণীয়েকৰ আওহেলা আৰু খেচখেচনি সহ্য কৰি থাকিব নোৱাৰি এদিন ঘৰৰপৰা ওলাই গ'ল। তেতিয়া ১৯১০ চনৰ অক্টোবৰ মাহ। ৰুচিয়াৰ ঠাইবোৰ বৰফেৰে ঢাক খোৱা। চৈটুৰৈ লগা জাৰত কাল-সন্ধ্যা বাহিৰ হৈছিল টলষ্টয়—অনিৰ্দ্দিষ্ট স্থানলৈ বুলি। এঘাৰ দিন পাৰ হ'ল, তেওঁৰ খা-খবৰ নাই। পিছত জনা গ'ল তেওঁ গৈ এটা ৰেলষ্টেশ্যনত নিমো-নিয়াত পৰি শুশ্ৰূষাৰ অভাৱত মৰি আছে। ওচৰত থকা দোকানী-পোহাৰী-বোৰেও তেওঁক চিনিব পৰা নাছিল। তেওঁৰ অন্তিম অনুৰোধ আছিল—তেওঁৰ শটোৰ কাষলৈ যেন পত্নীক কেতিয়াও আহিবলৈ দিয়া নহয়! এয়ে আছিল পত্নীৰ নিৰ্ম্মম অনাদৰত ঘটা বিশ্বৰ এগৰাকী শান্তি-দূতৰ অন্তিম দশা।

এনেকৈয়ে অনেক ঘটনাই সুন্দৰকৈ দেখুৱায় যে তিৰোতা হয় পুৰুষৰ জীৱন-যাত্ৰাৰ সহচৰী, সুখ-দুখৰ লগৰী, অথবা কেতিয়াবা কেতিয়াবা মৃত্যুৰো কাৰণ স্বৰূপ। তথাপি নাৰীৰ আকৰ্ষণ সহজে অৱজ্ঞা কৰিব পাৰে এনে পুৰুষ সৃষ্টিত বিৰল। সেই বাবেই গীতাত গোবিন্দ মিশ্ৰই কৈছে—

সিটো গৃহবাস ভাৰ্য্যাবেসে দাস
কহিলোঁ পৰম আৰ্য্যা।
বানৰক যেন নৰ্ত্তকে নচাৱে
স্বামীক নচাৱে ভাৰ্য্যা ॥

বৰ্ডিয়া
১৯৫৩

ৰুচি, সৌন্দৰ্য্য, সভ্যতা আৰু সাজপাৰ

ভিন্ন-ৰুচিৰ্হি লোকাঃ—অৰ্থাৎ বেলেগ বেলেগ লোকৰ বেলেগ ৰুচি—বোলা কথাষাৰ বৰ খাঁটি কথা। হাজাৰ-বিজাৰ লোকৰ সাধাৰণ আকৃতি-প্ৰকৃতি একে নিচিনা হলেও কোনো দুজন মানুহৰে ঠগ তেনেই একে নহয়। মন আৰু প্ৰকৃতিত এই কথা আৰু বেছি পৰিমাণে খাটে। প্ৰকৃতিৰ ৰাজ্যত বিহৰণ কৰা প্ৰাণীপুঞ্জৰ বিৰাট বৈচিত্ৰ্যলৈ লক্ষ্য কৰিয়ে কৰিয়ে কৈছে—

কাৰো সৈতে কাৰো মিল
নোহে নোহে একো তিল,
খেলে খেলে গিয়াতি ও খেলে খেলে জাত:
গৰু পছু নৰকুল;
গাজ কলি কুঁহি ফুল;
চামে চ'মে গছনি ও চামে চামে পাত। —জ্ঞান মালিনী

মুঠতে ব্যক্তিৰ লগত ব্যক্তিৰ আৰু জাতিৰ লগত জাতিৰ কিছুমান বিষয়ত মিল থাকিলেও অমিলহে বেছিকৈ দেখিবলৈ পোৱা যায়। সৌন্দৰ্য্যৰ বিষয়ে মানুহৰ যি ধাৰণা তাতো সেই একে কথাই খাটে; বিশেষকৈ ব্যক্তি সৌন্দৰ্য্যত। উদাহৰণ দিলে কথাটো কিছু স্পষ্ট হৈ পৰিব। চেপেটা নাক ইয়োৰোপীয়ান-সকলৰ কাৰণে সৌন্দৰ্য্যৰ অন্তৰায়; অষ্ট্ৰেলিয়াৰ লোকে আকৌ তাকেহে প্ৰশংসা কৰে, আৰু ইউৰোপীয়ান মানুহৰ দীঘল নাক দেখি চৰাইৰ ঠোঁট বুলি হাঁহে। নীলা চকু, দীঘল চুলি আদিবোৰ ভাৰতীয় নাৰী-সৌন্দৰ্য্যৰ বিশিষ্ট উপাদান হলেও পশ্চিমত এইবোৰৰ আদৰ নাই। সোণালী চুলি থকা আৰু পিঙল-চকুৰা নাৰী পশ্চিমত ৰূপৱতী বুলি পৰিগণিত হয়—; অসমীয়া সমাজত এনে ধৰণৰ তিৰোতা কিন্তু বৰ কুলক্ষণী'।

পিঙল নয়ন যাৰ পিঙটা যে কেশ
পাৱে পাৱে ঘলে যিটো কুলক্ষণ বেশ ॥ ৩৩ ॥
সেই নাৰীজনী অতি বৰ কুলক্ষণী।
সত্যে সত্যে কহো মই শুৰূণ কাহিনী ॥ (লক্ষ্মী-চৰিত্ৰ)

বহল মুখ, হাড় ওলোৱা গাল, সৰু ভৰি আৰু ডাঙৰ কাণে চীন দেশীয় নাৰীৰ সৌন্দৰ্য্য বঢ়ায় ; ভাৰতীয় লোকে সেই সৌন্দৰ্য্যক আদৰ নকৰে। আকৌ একে গৰাকী নাৰীকেই এজনে চাই ৰূপৱতী বুলি প্ৰশংসা কৰিব, আৰু এজনে চাই তেওঁকেই কুৰূপা বুলি পৰিহাস কৰিব। কাল বা সময়েও সৌন্দৰ্য্য-বিচাৰত মানৱ মনৰ ওপৰত ছাপ বহুৱায়। অৰ্থাৎ একালত যেনেকুৱা নাৰীক লোকে ৰূপহী বুলি ধৰে পৰৱৰ্ত্তী কালত হয়তো তেনেকুৱা নাৰী মানুহৰ চকুত নপৰা হয়। এনে এদিনো আছিল যেতিয়া অসমীয়া লোকে পূৰ্ণ চন্দ্ৰৰ তুল্য ফুলা গালৰ উৰ্দ্ধ স্তন-বিশিষ্ট নাৰীক সুলক্ষণী বুলি ভাবিছিল—

গণ্ডস্থল ফুলা যাৰ উৰ্দ্ধ দুই স্তন
সেই নাৰী সুলক্ষণী জানা নাৰায়ণ ।। ৩৫ ।। (লক্ষ্মী-চৰিত্ৰ)

কিন্তু আজি জানো অসমীয়া যুৱকে যুৱতীৰ ৰূপ বিচাৰত এই মান-দণ্ড ব্যৱহাৰ কৰিব ? সেইবাবেই এইটো নিসন্দেহে কব পাৰি সৌন্দৰ্য্য-বিচাৰৰ লগত সভ্যতাৰ সম্বন্ধ তেনেই পাতল।

কলৰ দোনাত কোমল চাউল আৰু এঠা দৈৰে অসমীয়া লোকে জলপান খোৱা দৃশ্যটো ইউৰোপীয়ান এজনে যেনে আমোদ আৰু কৌতুহলেৰে চাব তেনেকৈয়ে ইউৰোপীয়ানৰ খানা খোৱাত কাটা-চামুচ, ছুৰী-কটাৰীৰ ব্যৱহাৰ দেখিও অসমীয়া লোকে সেই একে ধৰণৰে আমোদ পাব। ইউৰোপীয়ান মহিলাই ভাৰতীয় মহিলাক দেখি যিদৰে এজপা কাপোৰ অনাহকত গাত মেৰিয়াই লোৱা বুলি হাঁহে ঠিক তেনেকৈয়ে ইউৰোপীয়ান মহিলাক দেখিও ভাৰতীয় নাৰীয়ে অৰ্দ্ধনগ্না বুলি লাজত তলমূৰ কৰে। সেই কাৰণেই এজন প্ৰসিদ্ধ লেখকে কৈছে যে বস্তুত সৌন্দৰ্য্য নাথাকে, সৌন্দৰ্য্য থাকে দৰ্শকৰ মানস-চকুতহে। (Beauty is no quality in things themselves ; it exists only in the mind which contemplates them and each mind receives a different beauty) সঁচাকৈয়ে একোটা বস্তুকে বেলেগ লোকে বেলেগ দৃষ্টি-ভঙ্গীৰপৰা চায় আৰু তাত বেলেগ সৌন্দৰ্য্য দেখে।

সৌন্দৰ্য্য-স্পৃহা মানৱৰ আদিম প্ৰবৃত্তি। সেই বাবেই অসভ্য বনবাসীৰপৰা সুসভ্য সৌধ-নিবাসীলৈকে সকলো লোকে নিজক বিভূষিত কৰিবলৈ নানা অলঙ্কাৰ বা আভৰণ পিন্ধে। অসভ্য হলেও অলঙ্কাৰ আদি নোপোৱা জাতি

পৃথিৱীত নাই। প্ৰাচীন গ্ৰীকবিলাকেও প্ৰথমে শিলৰ, তাৰ পিছত পিতলৰ আৰু অৱশেষত সোণ ৰূপৰ অলঙ্কাৰ গঢ়ি লৈছিল বুলি ইতিহাসে প্ৰমাণ দিয়ে। মিচৰৰ পিৰামিডবোৰৰ ভিতৰত থকা অলঙ্কাৰেও জানো সেই একে কথাৰেই প্ৰমাণ নিদিয়ে?

অসভ্য জাতিবোৰৰ মাজত যন্ত্ৰৰ ব্যৱহাৰতকৈও আগতে অলঙ্কাৰৰ ব্যৱহাৰ চলিছিল। আজিও এগৰাকী চাওঁতাল নাৰীয়ে হাতত বালা, ডিঙিত হাৰ আৰু ভৰিত নেপুৰ পিন্ধোতে প্ৰায় ৪।৫ সেৰ কাঁহ খৰচ কৰে। সিহঁতে তাকে কৰিয়ে সুখ পায়। আমাৰ অসমীয়া তিৰোতাৰ মাজতো কেৰু, নাক-ফুল আদিৰ ব্যৱহাৰ আছে। আফ্ৰিকাৰ তিৰোতাবিলাকেও কাণত ডাঙৰ বিন্ধা কৰি নানা প্ৰকাৰ ধাতুৰ অলঙ্কাৰ পিন্ধে। আমেৰিকাতো এই নিয়ম প্ৰচলিত আছে। আফ্ৰিকা বা আমেৰিকাৰ কোনো কোনো তিৰোতাই ধাতুৰ অলঙ্কাৰ সংগ্ৰহ কৰিব নোৱাৰিলে জন্তুৰ হাড় নাইবা চৰাইৰ নখ বা ঠোঁটকেই অলঙ্কাৰ ৰূপে ব্যৱহাৰ কৰে। নাক-ফুল, কেৰু, মুঠিখাৰু আদিৰ ব্যৱহাৰ অসমীয়া তিৰোতা-সমাজৰপৰা আজিকালি উঠি যাবলৈ ধৰিছে। পাৰস্যতো কেৰুৰ ব্যৱহাৰ আছিল। ৰুচি সূক্ষ্ম আৰু সুকুমাৰ হৈ অহাৰ লগে লগে পুৰণি অলঙ্কাৰে নতুনক ঠাই দি ব্যৱহাৰিক জগতৰ পৰা বিদায় লৈছে।

মানুহে পোনতে অলঙ্কাৰ কিয় পিন্ধিছিল আৰু বস্ত্ৰৰ ব্যৱহাৰ কেতিয়া আৰু কেনেকৈ হ'ল সেইটো ভাবিব লগীয়া বিষয়। বহুতে কয় যে প্ৰয়োজনৰ তাড়-নাত হে মানুহে এইবোৰ আবিষ্কাৰ কৰিছিল; কিন্তু আৱশ্যক বা প্ৰয়োজন বোলা কথাটো সদায় অৱস্থা আৰু বস্তুৰ লগত জড়িত। যেনে, চহা খেতিয়কৰ কাৰণে হালবোৱা নাঙলখন অতি আৱশ্যকীয় বস্তু। কাগজ-পেঞ্চিল নহলে ছাত্ৰৰ নচলে। ভ্ৰমণকাৰী ৰাজ-কৰ্ম্মচাৰীক আকৌ চাইকেল বা হাৰাগাড়ী লাগে। খেতিয়কে হাৰাগাড়ীখন নহলেও চলিব পাৰে; ছাত্ৰই হাল-গৰুৰ প্ৰয়োজন অনুভৱ নকৰে। এইদৰে দেখা যায় পৃথিৱীৰ প্ৰত্যেক বস্তুৱেই এজনৰ নহয় এজনৰ প্ৰয়োজনত লাগে। তেন্তে অলঙ্কাৰৰ নো আৱশ্যক কি? নগ্ন অৱস্থাত হাবি-বননিত নাইবা পৰ্ব্বতৰ গুহাত বাস কৰিও অসভ্য অনাৰ্য্যবোৰে শিলগুটিকেই অলঙ্কাৰ হিচাপে ব্যৱহাৰ কৰিছিল কিয়? ইয়াতে ফুটি উঠে মানৱৰ সৌন্দৰ্য্যস্পৃহা; ইয়াতেই লক্ষ্য কৰিব পাৰি—ৰূপ-পিয়াসী মানৱ-মনৰ লোলুপ বাসনা! আজিও অসমৰ অনেক গাঁৱলীয়া তিৰোতাই 'কাই বা

[illegible]

[illegible]

[illegible]

[illegible]

[illegible]

[illegible]

এজন পণ্ডিত লোকে কয় যে চিত্ৰ-বিচিত্ৰ ৰং আৰু অলঙ্কাৰ অকল সৌন্দৰ্য্যৰ কাৰণেই ব্যৱহাৰ হোৱা নাছিল। ই শত্ৰুক বশত মুগ্ধ কৰিবৰ কাৰণেও ব্যৱহৃত হৈছিল। যুদ্ধ জয় কৰিলে নতুবা কোনো দুৰ্দ্দান্ত বনৰীয়া জন্তু বধ কৰিলে আনন্দ আৰু পুৰস্কাৰৰ চিন্ স্বৰূপেও অলঙ্কাৰ উপহাৰ দিয়া হৈছিল। এনেবোৰ অলঙ্কাৰ সদায় অৱস্থা আৰু পৰাক্ৰমৰ পৰিচায়ক আছিল। আজিকালিও মূল্যৱান অলঙ্কাৰ ঘৰত ৰাখি বহুতে গৌৰৱ অনুভৱ কৰে। মূল্যৱান অলঙ্কাৰ যাৰ ঘৰত সৰহ পৰিমাণে আছে তাকেই গাঁৱলীয়া লোকে সম্ভ্ৰান্ত লোক বুলি মানে।

শাৰীৰিক শোভা বৰ্দ্ধন কৰা অলঙ্কাৰৰ বিশেষ গুণ। মানুহৰ জীৱনত এনে এটা সময় আছে—যেতিয়া চাৰিওফালৰ প্ৰকৃতিত দেখা যায় এটি অনিৰ্ব্বচনীয় আনন্দ, চিৰ সৌন্দৰ্য্যৰ এটি মায়াময় চিত্ৰ। তেতিয়া নিজক বিভূষিত কৰি সকলোৱে আত্মতৃপ্তি লাভ কৰে। কিন্তু শেষত এনে এটা সময়ো আছে যেতিয়া সুখ-সম্ভোগ, বিলাস-বিহাৰৰ সকলোবোৰ ভাব এটি এটিকৈ অন্তৰ্হিত হয়। তেতিয়া দুনিয়াৰ কোনো বস্তুৱে তেওঁক পৰিতৃপ্তি দিব নোৱাৰে। সেই সময়ত এটা বিৰাট অৱসাদে বিশ্বক গ্ৰাস কৰি অহা যেন অনুমান হয়, আৰু অলঙ্কাৰ বা বসন-ভূষণে তেওঁক আমোদ দিবলৈ অসমৰ্থ হয়। এই দুটা বয়সেই যৌৱন আৰু বাৰ্দ্ধক্য। যৌৱনৰ নৱৰাগ উপস্থিত হোৱাৰ লগে লগে নাৰী-পুৰুষ দুয়ো জাতিৰ প্ৰত্যেকে আন পক্ষক আকৰ্ষণ কৰিবলৈ অতৰ্কিতে হলেও যত্নৱান হয়। এইটো লক্ষ্য কৰিব লগীয়া যে সুন্দৰ অঙ্গভূষণ বা মূল্যৱান সাৰপাৰ যুৱক-যুৱতীৰ কাৰণেহে অধিক কাম্য বস্তু। মানুহ বুঢ়া হৈ অহাৰ লগে লগে সময় মতে তেওঁ আনকি ডাড়ি-চুলি কটাবলৈও আশা এৰে। গতিকে অলঙ্কাৰ বাইকৈ যৌৱনৰেই সামগ্ৰী। এই অলঙ্কাৰ বা সাজপাৰৰ সৌন্দৰ্য্যজ্ঞান আৰু ৰুচিও, জাতি আৰু ব্যক্তিভেদে বেলেগ বেলেগ হয়। নিকোবৰত যি যুৱকে দাঁত নোবোলায় তাক কুকুৰদঁতীয়া বা গাহৰিদঁতীয়া বুলি যুৱতীসকলে ঘৃণা কৰে। দাঁত বোলোৱা বা দাঁত বন্ধোৱা মালয়ানসকলৰ বিবাহৰ পূৰ্ব্ব-লক্ষণ।

অনেক পাৰ্ব্বত্য জাতিৰ লোকে শৰীৰৰ নানা স্থানত খাচুৰি নাইবা অন্য উপায়ে নানা প্ৰকাৰৰ ছবি আঁকি লোৱাটো ভাল পায়। আগতে নগা যুৱকবোৰৰ ভিতৰতো যিবোৰে ৰং দি নাইবা অন্য উপায়েৰে মুখত

বিকৃত চিহ্ন অঙ্কন কৰিব পাৰে, সিঁহঁতকহে ধুনীয়া আৰু বিবাহৰ উপযুক্ত বিবেচনা কৰা হৈছিল।

বহুতৰ আকৌ ধাৰণা আছে যে তিৰোতাবোৰ পুৰুষতকৈ বিলাসী। এইটো তথাকথিত সভ্য-সমাজত খাটিলেও অনুন্নত জাতিৰ মাজত তালৈকে নাখাটে। সিসকলৰ মাজত পুৰুষেহে তিৰোতাক নানা প্ৰকাৰে ভুলাই বিয়াত সন্মত কৰাব লাগে। পক্ষিকে পুৰুষবৰহে অলঙ্কাৰৰ আৱশ্যক বেছি। সিঁহঁতৰ মাজত যি পুৰুষে বল-বিক্ৰমেৰে সকলোকে মুগ্ধ কৰিব পাৰে, তালৈহে যুৱতী বিয়া সোমায়। ইয়াৰ কাৰণ দুটা হ'ব পাৰে। আগৰ দিনত মানুহে সততে বন্য জন্তুৰ লগত যুঁজি থাকিব লাগিছিল। পত্নিকে শক্ত-সবল পুৰুষৰ আশ্ৰয়ত নাথাকিলে সদায় প্ৰমাদ গণিব লাগিছিল। দ্বিতীয়তঃ, বলবান পিতৃৰ সন্তানো নিৰোগী আৰু বলবান হয়: এই প্ৰথা যে কেৱল অনুন্নত-বোৰৰ মাজতহে আছিল এনে নহয়; সুসভ্য আৰ্য্যসকলৰ মাজতো ইয়াৰ সুন্দৰ প্ৰচলন আছিল। স্বয়ম্বৰ প্ৰথাই তাৰ সাক্ষ্য দিয়ে। সীতা, দ্ৰৌপদী, আটালান্টা আদি ৰমণীসকলৰ স্বয়ম্বৰত পতি-বৰণেই ইয়াৰ উজ্জ্বল পটন্তৰ। মধ্যযুগত ইউৰোপত বাহুবল আৰু সাহসিকতাৰ (Chivalry) এটা যুগেই আহিছিল। নাট্যাচাৰ্য্য শেক্সপীয়েৰৰ নাটকত আৰু ঔপন্যাসিক স্কটৰ উপ-ন্যাসত তেনে সাহসিকতাপূৰ্ণ বাহুবলৰ বিস্তৰ আখ্যান পোৱা যায়। তাহানিৰ সেই দৈহিক বলৰ যুগ গ'ল।

বৰ্ত্তমান যুগক লেখনীৰ যুগ বুলিব পাৰি। সেই বাবেই পূৰ্ব্বৰ বাহুবলৰ ঠাই আজিকালি চাকৰি আৰু বেতনে লৈছে। আগৰ দিনত বলী লোকৰ আশ্ৰয়ত হাবিয়ে-বননিয়ে ফুৰাৰ পৰিবৰ্ত্তে আজিকালি ফুৰিব লাগে পকী ৰাস্তাত নতুবা বোলছবিৰ বিলাস ভৱনত। সেইবাবেই ৰুচিৰো পৰিবৰ্ত্তন হোৱা স্বাভাৱিক।

বস্ত্ৰ-পৰিধানৰ আদিম উদ্দেশ্য আছিল শীত আৰু তাপৰ পৰা শৰীৰক ৰক্ষা কৰি লজ্জা-নিবাৰণ কৰা। অৱশ্যে ই যে বিলাস বা আকৰ্ষণৰ উপকৰণ নাছিল, এনে নহয়। অনেক আদিম জাতিৰ মতা আৰু তিৰোতাই কঁকালত ৰঙা-বগা ৰঙৰ এবেগেত মান কাপোৰ আজিও মেৰিয়াই লয়। লজ্জা নিবাৰণেই তাৰ যাই উদ্দেশ্য নহয়; বিপৰীতে ৰৰক দৃষ্টি বা মনোযোগ আকৰ্ষণ কৰাহে তাৰ লক্ষ্য।

আফ্ৰিকাৰ ভিতৰুৱা ঠাইবোৰৰ অবিবাহিত ডেকা গাভৰুৱে সাধাৰণ, ক্ষুদ্ৰ বস্ত্ৰ একোখনিৰে যৌনাঙ্গ আবৃত কৰি ৰাখে। বিবাহিতবোৰ নগ্ন। অবিবাহিত আৰু বিবাহিতৰ লেখে চিন। লাহে লাহে এই নীতিৰ পৰিবৰ্তন ঘটি আহিব লাগিছে।

অষ্ট্ৰেলিয়াত আকৌ ডেকা আৰু গাভৰুবোৰে কঁকালত একোডাল ডোল পিন্ধি ৰঙা কাপোৰ অলপমান যৌনাঙ্গৰ ওপৰত ওলমাই থয়। এইবোৰৰ পৰা এজন পণ্ডিতে কয় যে বস্ত্ৰ পৰিধানৰ প্ৰধান উদ্দেশ্য অকল শাৰীৰিক লজ্জা আবৰণ কৰা বা শীতোষ্ণ তাপৰপৰা ৰক্ষা পোৱাই নাছিল— অন্য প্ৰকাৰে আনক আকৰ্ষণ কৰাটোও আছিল (Excite through the unknown or hidden)।

চীন দেশৰ তিৰোতাৰ ভৰি সৰু নহলে কুৰূপা বুলি সকলোৱে ঘিণায়। সেই-কাৰণে সৰুবেপৰা ছোৱালীৰ যাতে ভৰি সৰু হয়, তাৰ বাবে টান জোতা পিন্ধাই নাইবা অন্য উপায়েৰে চেষ্টা কৰা হয়। এইদৰে দেখা যায় ৰুচি, সংস্কৃতা, সৌন্দৰ্য্য আৰু সাজপাৰৰ মাজতো কোনো স্থায়ী সম্বন্ধ নাই। মানৱ-মনৰ পৰিবৰ্তনৰ লগে লগে এই বোৰৰো পৰিবৰ্তন ঘটি থাকে। অনুকৰণশীল মানৱ প্ৰকৃতিয়ে বিভিন্ন ঠাইৰ চালচলন দেখি নানা ৰুচিৰ সৃষ্টি কৰে। সেয়েহে চীন দেশৰ নৰ-নাৰী উভয়ে এতিয়া মূল্যবান আৰু দেশনিয়ম্ব সাজপাৰৰ প্ৰতিযোগিতাৰ ঠাইত বাহিৰলৈ গলে কোন কিমান সাধাৰণভাৱে, সাধাৰণ সাজপাৰত যাব পাৰে— তাৰহে মনে মনে প্ৰতিযোগিতা চলায়। তাত আজি নীতি হৈ পৰিছে—

সাধাৰণ কাপোৰৰ বেচ অলপীয়া।
নিকা হওক মাথো সেয়ে আমাৰ ধুনীয়া॥

গতিকে গতিশীল জগতৰ গতিশীল মানৱ প্ৰকৃতিয়েও লগায় ন-ন অভিৰুচিৰ সৃষ্টি কৰি সমাজক ন-ন ৰূপ দি যাব— ই ধুৰুপ।

গুৱাহাটী
১৯৪০

বিবাহ আৰু কৌমাৰ্য্য

যৌৱনত ভৰি দিলে আৰু সংসাৰ চলাবলৈ সমৰ্থ হ'লে সংসাৰত প্ৰৱেশ কৰাটো সচৰাচৰ সকলোৰে কৰ্ত্তব্য; কিন্তু বহু ক্ষেত্ৰত এনে নিয়মৰ ব্যতিক্ৰম দেখা যায়। কিছুমানৰ দেখাত কোনো অভাৱ নাই, স্বাস্থ্যও নিপোটল; ইকালে ৰূপে-গুণে ধন্যা যুৱতী কন্যাও বিয়াৰ বাবে তেওঁলোকে পাইছে; তথাপি বিয়া নকৰাই তেওঁলোক চিৰকুমাৰ হৈ থাকে। এনে ব্যতিক্ৰমৰ কাৰণ বিশ্লেষণ আমোদজনক কাম। ওৱেষ্টাৰমাৰ্ক নামৰ চাহাব এজনে তাহানি এই বিষয়ে কিছু আলোচনা কৰিছিল; তেওঁৰ যুক্তিবোৰ উল্লেখ কৰি আমি বিবাহ বনাম কৌমাৰ্য্যৰ কথা গোটাচেৰেক আলচ কৰিম।

জগজয়তে কৌমাৰ্য্য ব্ৰতৰ মূল কাৰণবোৰ নো কি কি তাকিব লগীয়া কথা। ইয়াত অৱশ্যে নানা পণ্ডিতৰ নানা মত। বহুতে কয়—অৰ্থ নৈতিক সঙ্কটেই ইয়াৰ অন্যতম কাৰণ। বিবাহৰ সংখ্যাৰ হ্ৰাস-বৃদ্ধিৰপৰা সমাজৰ আৰ্থিক অৱস্থা বহু পৰিমাণে অনুমান কৰিব পাৰি। সভ্যতা বিস্তাৰৰ লগে লগে মানুহে সমাজত উচ্চ ধৰণে থাকিবলৈ শিকিছে। উন্নত ধৰণৰ খোৱা-লোৱা, উন্নত ধৰণৰ পিন্ধন-উৰণ আৰু উন্নত ধৰণৰ ৰং-ধেমালি কৰিবলৈ হ'লে অৰ্থৰ আৱশ্যক; কিন্তু আধুনিক শিক্ষাই যথোচিতভাৱে সকলোকে অৰ্থোপাৰ্জ্জন কৰিবলৈ সুযোগ দিয়া নাই। সেই বাবেই আৰ্থিক কাৰণত শিক্ষিতসকলৰ মাজত বিবাহৰ সংখ্যা কমিব লাগিছে। ইয়াক পশ্চিমীয়া শিক্ষাৰো এটি কেৰোণ বুলিব পাৰি। ইউৰোপীয় শিক্ষাই যিবোৰ দেশত প্ৰভাৱ বিস্তাৰ কৰিব পৰা নাই, সেইবোৰত বিবাহে নৰ-নাৰীৰ জীৱনত সমস্যাৰ সৃষ্টি কৰিব পৰা নাই বুলিয়েই মানুহে ভাবে।

পশ্চিমীয়া শিক্ষাৰ বতাহ নলগা দেশবোৰ সিমান লাহ-বিলাহত মত্ত নহয়। সেইবোৰ ঠাইৰ তিৰোতাবোৰেও স্বামীৰ ওপৰত দুৰ্ব্বহ বোজা নহৈ স্বামীৰ কাৰ্য্যত সৰ্ব্বতোপ্ৰকাৰে সহায় কৰে। সভ্যতাৰপৰা ওপজা সজ্জা বা বেশ

তেওঁলোকৰ নাই। আনকি কোনো কোনো সময়ত তিৰোতাই স্বামীৰ ভৰণ-পোষণ বহন কৰে। তেওঁলোকৰ ল'ৰা-ছোৱালীবোৰেও পৈতৃক সম্পত্তি পোষণ নকৰি আৰ্জনতহে সহায় কৰে। এই বাবেই গাঁৱৰ ডেকা লোকে ধাৰ-ঋণ কৰিও বিয়া কৰিবলৈ মন মেলে। তেওঁলোকৰ মনত বিবাহ অন্তৰৰ যৌনলিপ্সা পূৰণৰ উপায় মাথোন নহয়; কৰ্ম্মময় সংসাৰ বিৰচনৰ এটি বিশিষ্ট আহিলাও। ইয়াত ডেকালোকৰ যৌৱনৰ চঞ্চল বুভুক্ষা ফুটি উঠে বুলি নকৈ সুখময় পৰিশ্ৰমৰ মাজেদি জীৱন সুখময় কৰি তুলিবলৈহে বাসনা জাগি উঠে বুলি কব পাৰি।

ইউৰোপৰ কৃষক সম্প্ৰদায়ৰ মাজতো এই প্ৰথা বহু পৰিমাণে প্ৰচলিত। গৃহিণীয়ে স্বামীক অকল ঘৰত আলপৈচান ধৰিয়ে ক্ষান্ত নাথাকে, পথাৰলৈ গৈ গৰু ৰখি নাইবা মাছ মাৰিও সহায় কৰে। অৱস্থাপন্ন অথবা ধনী সম্প্ৰদায়ৰ মাজত কিন্তু এনেকুৱা দেখিবলৈ পোৱা নাযায়। আমাৰ দেশৰ দৰে তাতো চহকীৰ ঘৰৰ কন্যাবোৰৰ ধাৰণা এই যে গিৰিয়েকসকলে তেওঁ-লোকক সুখত ৰাখিবই লাগিব। সেয়ে কাৰ্য্যত নঘটিলে বৈবাহিক জীৱনত হাই-কাজিয়া, অৱসাদ, বিচ্ছেদ আদি আহি পৰে।

তথা-কথিত অসভ্য জাতিৰ মাজত কৌমাৰ্য্য-ব্ৰত নাই বুলিলেই হয়। সিহঁতে বিবাহক এটি বৰ ডাঙৰ কাৰ্য্য বুলি নাভাবে। জাগতিক অন্যান্য কাৰ্য্যৰ দৰে সিহঁতৰ বিয়াখনো স্বাভাৱিক ভাৱেই হৈ যায়। বিয়া সিহঁতৰ কাৰণে বৰ বেছি চিন্তা কৰিবলগীয়া বিষয় নহয়। সিহঁতৰ মতে, ডাঙৰ হলে গছত আপোনা-আপুনি ফুল-ফল হোৱাৰ দৰে, উপযুক্ত বয়সত বিয়া হোৱাটো মানুহৰ কাৰণেও তেনেই স্বাভাৱিক কাৰ্য্য। অনাদি কালৰপৰা এইদৰেই সিহঁতৰ জীৱন চলি আহিছে। সিহঁতৰ মতে পতি-পত্নী দুয়োবো দুয়ো সহায়; দুয়োবো দুয়ো অনুপূৰক আৰু পৰিপূৰক। অসভ্যসকলৰ দৰে তথা-কথিত সুসভ্যসকলৰো কিন্তু পতি-পত্নীৰ সম্বন্ধ পাৰস্পৰিক সহায়ৰ ওপৰতে ৰক্ষিত থাকে। সেই কাৰণেই পত্নীক বোলা হয় অৰ্দ্ধাঙ্গিনী অৰ্থাৎ জীৱনৰ আধা। সেই হেতুকে বিধবা নাৰীয়ে মৃত পতিৰ চিতাত উঠি জীৱন ত্যাগ কৰাৰ উদাহৰণ অতীত বুৰঞ্জীত বিৰল নহয়। প্ৰকৃততে হয় দ্বিতীয় বিবাহ নহয় স্বামীৰ লগতেই আত্মাহুতি—ই প্ৰায় সৰ্ববাদীসন্মত হিন্দু ৰীতি আছিল। সেই কাৰণেহে ৰাজপুত সতীসকল ইমান, জহৰ 'ব্ৰতেৰে' কৰি

আছিছে। স্ত্ৰী অথবা পুৰুষ কোনো সদায় অকলে থাকিব নোৱাৰে—এয়ে আছিল তেতিয়াৰ সমাজৰ ধাৰণা।

প্ৰকৃতিৰ ৰাজ্যতো স্বেচ্ছাকৃত ত্যাগৰ (voluntary abstinence) কথা শুনিবলৈ পোৱা নাযায়। মানুহ সেই বিশাল প্ৰকৃতিৰেই এটি অংশ। প্ৰকৃতিৰ নিয়ম মানুহেও মানিব লাগিব। সেয়ে নহলে প্ৰকৃতিৰ ৰাজ্যত অতিপ্ৰাকৃত অথবা অসাধাৰণৰূপে পৰিচয় দিবলৈ উগ্ৰ সাধনা কৰিব লাগিব। যৌন মিলনৰ বিষয়ত প্ৰকৃতিৰ অন্যান্য জীৱজন্তু আৰু মানুহৰ মাজত পাৰ্থক্য ইমানেই যে অন্যান্য জীৱ-জন্তুৰ সঙ্গম-কাল নিৰ্দ্ধাৰিত আছে; কিন্তু মানুহৰ নাই। ভগৱানে মানুহক বিবেক-বিশিষ্ট কৰি সজাটোৱেই ইয়াৰ মূল কাৰণ।

প্ৰকৃতিৰ নিয়ম নামানি চলিবলৈ হলে কঠোৰ ব্ৰত আৰম্ভ কৰিব লাগিব। যেনে ব্ৰতৰ মাজেদি ব্ৰহ্মচৰ্য্য সাধনাত সিদ্ধিলাভ কৰিব পাৰিলে ভাল কথা, নোৱাৰিলে কিন্তু বিপদ। পাৰিলে ভীষ্ম, শঙ্কৰাচাৰ্য্য, আচাৰ্য্য পি. চি. ৰায় আনন্দৰাম বৰুৱা আদিৰ নামৰ শাৰীতেই নাম উঠিব, নোৱাৰিলে গাটুৱা সন্ন্যাসীৰ শিষ্যৰূপে পৰিচিত হব লাগিব।

আধুনিক যৌন-বিজ্ঞানৰ মতে প্ৰত্যেক স্বাস্থ্যবান যুৱক-যুৱতীৰ বয়ঃ-সময়ত বিয়া হোৱা উচিত। সেয়ে নহলে সমাজৰ শৃঙ্খলা ঠিক নাথাকে আৰু অবৈধ মিলন অৱশ্যম্ভাৱী হৈ পৰে। মনৰ কৌতূহল দূৰ কৰিবলৈ আৰু ইন্দ্ৰিয় সুখৰ আস্বাদ লবলৈ এটা বয়সত যুৱক-যুৱতীৰ মন চঞ্চল আৰু উদগ্ৰীৱ হৈ পৰে। এগৰাকী বিখ্যাত লেখিকাই কৈছে যে এনে যুৱক-যুৱতীও অনেক আছে যিসকলে একেবাৰে সঙ্গম-সুখৰ আস্বাদ নোপোৱাতকৈ যেই সেই পুৰুষ বা স্ত্ৰীকেই ৰমণযোগ্য বুলি বিবেচনা কৰে। (Until society does early marriage practicable for all healthy adult men and women of say twenty to twenty-five years of age—extra-marital relationship however undesirable is inevitable; because there are men to whom at times any woman seems better than no woman.) মহৰ্ষি চৰকেও আয়ুৰ্ব্বেদত কয়—স্ত্ৰী-সহবাসৰ পৰা সন্তান, সৌভাগ্য আৰু বল লাভ হয়—"প্ৰজা সৌভাগ্যমৈশ্বৰ্য্যং বলঞ্চা-ভিজায়াৎ বলম্ ।" এতিয়া কোন ঠাইৰ লোকৰ মাজত কেনেকুৱা প্ৰথা প্ৰচলিত চোৱা যাওক :—

ইয়াগণ (Yabgan) বিলাকৰ ভিতৰত বিযোৱৰ লোক খোৱা বা বিযোৱৰ জনুৱে অৱস্থাৰ, সেইবোৰত বাহিৰে আন কোনোৱে বিয়া নকৰোৱাকৈ নাথাকে। মুনিহ ঢুকুৱাৰ ঠিক পিছতেই তিৰোতাবোৰে অন্ত স্বামী গ্ৰহণ কৰিব লাগে।

দক্ষিণ আফ্ৰিকাৰ হাবিতলীয়া জাতিবোৰৰ ভিতৰতো কোনো 'চিৰ-কুমাৰ বা চিৰকুমাৰী হৈ নাথাকে। আমোদৰ কথা এই যে গল্ড কণ্টৰ প্ৰায় কোনো ঠেকাতে কুমাৰ অৱস্থাত নথকে। সিংহলতো খুচা বয়সলৈ বিয়া নকৰোৱা মানুহ প্ৰায়ে দেখিবলৈ নাই। টডবোৰৰ বিষয়ে মাৰ্চেলে কয় যে—No unmarried class exists to disturb the society with its loves and broils."—অৰ্থাৎ প্ৰেম আৰু দ্বন্দ্ব-খৰিয়ালৰ কাহিনীৰে সমাজত আহুকাল জন্মাবলৈ কোনো মানুহ অবিবাহিত হৈ নাথাকে। বাল্য-বিবাহো ইয়াত আছে। ইয়াৰ প্ৰত্যেক মুনিহ বা তিৰোতা, প্ৰত্যেক ল'ৰা বা ছোৱালী, কাৰোবাৰ পতি বা পত্নী।

অসভ্য জাতিৰ যি লোকে উপযুক্ত সময়ত বিয়া নকৰায় তাক সকলোৱে আচৰিত মানুহ নাইবা পগলা বুলি ভাবে। চাওঁতালবিলাকৰ মাজত যদি কোনোবা মানুহে অবিবাহিত থাকিবলৈ চেষ্টা কৰে, তেন্তে তেওঁক মতা-মাইকী সকলোৱে ঘিণায় আৰু চোৰ নাইবা হিংসুক যাদুকৰতকৈও হীন বুলি বিবেচনা কৰে। সেই মানুহজনক সিহঁতে অমানুহ বুলি মাতিবলৈ ধৰে।

কাফ্ৰিবিলাকৰ ভিতৰত অবিবাহিত লোকৰ কোনো কাৰ্য্যতেই মাত নাই। ত্ৰিপুৰাত মানুহৰ যেতিয়ালৈ বিয়া নহয় তেতিয়ালৈ তেওঁৰ কোনো মূল্য নাই বুলি ধৰা হয়। অসমৰো গাঁৱে-ভূঞে আবিয়ৈ ল'ৰা-ছোৱালীৰ কথা পাতক বুলি মেলে-সবাহে তেওঁলোকক মুৰব্বীৰ স্থান দিয়া নহয়।

ফিজিয়ানবিলাকে বিশ্বাস কৰিছিল যে অবিবাহিত অৱস্থাত যি লোক পৰলোকলৈ যায় তাক দেৱতাই স্বৰ্গলৈ যাব নিদিয়ে; মাজবাটতেই গুৰি কৰি অণু-পৰমাণুত পৰিণত কৰে। অসমৰ অনেক পাৰ্ব্বত্য লোকৰ মাজতো ব্যাপক ধাৰণা এই যে অবিবাহিত অৱস্থাত মৰা লোক ভূত হৈ গছে-গছে বাৰীৰ কোণত বা আলিৰ দাঁতিত থাকে।

এইটো কব পাৰি যে তথাকথিত অসভ্যবোৰে সুসভ্য লোকতকৈ আগে বিয়া কৰায়। উত্তৰ আমেৰিকাৰ অধিকাংশ অধিবাসীয়ে আৰু কালিফৰ্ণিয়াৰ সকলো লোকে ১২/১৪ বছৰতেই বিয়া কৰায়। মধ্য মেক্সিকোত ১৪/১৫

বছৰীয়া কোনো ছোৱালীক অবিবাহিতা হৈ থকা দেখা নাযায়। ব্ৰেজিলত মতাই ১৫/১৮ বছৰৰ ভিতৰত বিয়া কৰায়।

চীন দেশত অবিবাহিত অৱস্থাত ল'ৰা-ছোৱালী মৰিলে সি পিতৃ-মাতৃৰ পক্ষে বৰ শোকৰ কাৰণ হয়। সেই বাবেই আনকি কয় নাইবা অন্ত কোনো দুৰাৰোগ্য ৰোগ হলেও বিবাহ অনিবাৰ্য্য ; বৰঞ্চ তেনেবোৰ কাৰণত বিবাহ বেছি শীঘ্ৰে আৱশ্যকীয় হয়। আচৰিত কথা এই যে তেওঁলোকে মৃত পুৰুষ লগতো কোনো মৃত কন্যাৰ কাল্পনিক বিবাহ পাতি উৎসৱ কৰে।

টাটাৰবিলাকৰ ভিতৰত যিমান বয়সীয়াই নহওক, যদি অবিবাহিত থাকে, তেন্তে তেওঁক মানুহ বোলা নহয় ; তেওঁক বোলা হয় 'য়াটো'। এনে অবিবাহিত ৩০।৪০ বছৰীয়া 'য়াটো'ক ১৩।১৪ বছৰীয়া বিবাহিত লোকে কিবা কথা বেয়াকৈ কলেও তাক তেওঁ নীৰৱে সহ্য কৰিব লাগিব। হিব্ৰুবিলাকৰ মাজতো এটা প্ৰবাদ আছে—"He who has no wife is no man" —স্ত্ৰীবিহীন লোক মানুহ বুলিয়ে গণ্য নহয়।

পুৰণি আৰ্য্যসকলে অবিবাহিত অৱস্থাক অধৰ্ম (impiety) বা দুৰ্ভাগ্য বুলিছিল। তেওঁলোকৰ মতে পুত্ৰহীন লোক নৰকত পৰে ; 'পুৎ' নামে নৰকৰপৰা পিতৃ-মাতৃক পৰিত্ৰাণ কৰে বুলিয়েই মতা সন্তানক পুত্ৰ বোলা হয়। অতীজৰেপৰা এইদৰে ধৰ্মৰ লগত বিবাহৰ ওতপ্ৰোত সম্বন্ধ। মনুৰ মতে বিবাহ জীৱনৰ দ্বাদশ সংস্কাৰ আৰু সেইবাবেই ধৰ্মীয় কৰ্ত্তব্য। প্ৰত্যেক মানুহে ইয়াক মানিব লাগে। ব্ৰাহ্ম ধৰ্মৰ মতে বিয়া নকৰোৱালৈকে মানুহ অৰ্দ্ধ-মানৱ।

গ্ৰীকসকলৰ ভিতৰত বিবাহ প্ৰথা ব্যক্তিগত কাৰ্য্য নহয় ; সমাজৰ লগত ইয়াৰ অকাট্য সম্বন্ধ। স্পাৰ্টাত ৰাষ্ট্ৰই ঠিক কৰি দিয়া মতে যিবিলাকে বিয়া নকৰাইছিল তেওঁলোকৰ বিৰুদ্ধে দণ্ডৰ মতে অভিযোগ খাটিছিল। চলন (Solon)ৰ সংস্কাৰত বিবাহক ৰাষ্ট্ৰৰ পৰিদৰ্শন বা তত্ত্বাৱধানৰ ভিতৰত ধৰা আছিল। এথেন্সতো অবিবাহিত নৰ-নাৰীৰ বিৰুদ্ধে দেশৰ ৰীতি মতে গোচৰ চলিছিল। পিছত অৱশ্যে এনে নিয়ম শিথিল হৈ আহে।

পুৰণি ৰোমত চেন্সৰবিলাকে অবিবাহিতৰ ওপৰত কৰ লগাইছিল। ৰুছিয়াত এতিয়াও প্ৰায় কৌমাৰ্য্যৰ কথা শুনিবলৈ পোৱা নাযায়। পুত্ৰক ১৮ বছৰ হলেই পিতাকে জনায় যে তেওঁ বিয়া কৰাব লাগে। সকলো

দেশতো যে একে নিয়ম এনে নহয়। জুলুবিলাকৰ ভিতৰত আকৌ গৰু-মহ পুহি অৰ্থ উপাৰ্জন কৰিব নোৱাৰাকৈ বিয়া নকৰায়।

অনেক ঠাইত বহু-বিবাহ প্ৰচলিত। বহু-বিবাহৰ সম্পত্তিৰ লগত কিছু সম্পৰ্ক আছে। কিংচ্‌মিল দ্বীপৰ মেকিনত বহু যুৱক আকৌ অৱস্থাৰ হেঁচাত অবিবাহিত হৈ থাকিব লগীয়াত পৰে; কাৰণ অৱস্থাপন্নসকলৰ একো একো জনেই অনেক পত্নী বিয়া কৰাই সম্পত্তিৰ পৰিচয় দিবলৈ বহুপৰ হয়। কোচিন ভাৰতীয়সকলৰ (Cochin Indians) ভিতৰত অনেক যুৱকেই বুঢ়ী বা অকামিলা বিধৱাক কম খৰচত বিয়া কৰাত বাহিৰে অন্য উপায় নাপায়, কিয়নো ধনীসকলেই প্ৰায় সকলোবোৰ ধুনীয়া যুৱতী চোৱালী টকাৰ বলেৰে কিনি বিয়া কৰায়। কোনো কোনো সময়ত একোজন সুস্থ, সবল, ধুনীয়া যুৱকে এজনী বুঢ়ী বিধৱা বিয়া কৰাবলৈও সম্বল নাপায়—ইফালে আকৌ বয়সস্থ কম ধনী একোজনেই চাৰি-পাঁচজনী গাভৰু বিয়া কৰায়। ইয়াকেই গ্ৰাম্য উপমাৰে কোৱা যায় বোলে 'খাৰ নোৱাৰাৰ পাতত হে বৌ মাছৰ মুৰ।'

ইউৰোপৰ ফালে চকু দিলে দেখা যায় যে, আধুনিক সভ্যতা বিস্তাৰৰ লগে লগে বয়স যোৱাত বিয়া কৰা প্ৰথা বেছিকৈ চলিছে। আৰ্থিক অনাটনেই ইয়াৰ মূল কাৰণ। নগৰ-চহৰবোৰতেই ইয়াক বেছিকৈ দেখা যায়। কাৰণ নগৰ বা চহৰত বিয়া কৰাবলৈ হলে প্ৰথমেই ভাবিব লাগিব—উপাৰ্জনৰ এটি সুচল পথৰ কথা। দ্বিতীয়তে লাগিল পত্নীক যাতে সমাজ অনুসাৰে সুন্দৰ ঘৰত, সুন্দৰ সাজপাৰত ৰাখিব পাৰি তাৰ সুন্দৰ ব্যৱস্থা। এইবোৰ কৰিবলৈ হলে অৰ্থ নহলে নহয়। এনেবোৰ কাৰণতেই অৰ্থ উপাৰ্জনৰ বাট নথকা শিক্ষিত ডেকাই বিয়াৰ নাম লবলৈ ভয় কৰে। ইয়াক বাধ্যতামূলক কৌমাৰ্য্য বুলিব পাৰি।

আজি-কালিৰ শিক্ষা বুলিলেই মস্তিষ্কৰ শিক্ষা মাথো বুজা যায়। সেই কাৰণেই শিক্ষিতসকলে মস্তিষ্কৰ চালনা কৰিব পৰা কাম নাপালে অন্য কামেৰে অৰ্থোপাৰ্জন কৰিবলৈ সক্ষম নহয়। ইফালে আকৌ মগজৰ কামৰ দ্বাৰা জীৱিকা নিৰ্ব্বাহ কৰাতকৈ হাতৰ কামেৰে সহজে কৰিব পাৰি। হাতৰ কামৰ নাটনি নাই বুলিলেও হয়। মস্তিষ্কৰ কাম পাবলৈ বেছি পলম লাগে। বিয়াও পলমকৈ হয়। দৰ্জি, মুচি আদিয়ে সহজে আৰু সোনকালে বিয়া কৰায়। শিক্ষিতসকলৰ বিয়া কৰাত পলম হলে দুটা বিপদৰ আশঙ্কা দেখা

যায়। তেওঁলোকে নিজৰ জীৱনৰ বৈয়ত্ত অন্নহাত সন্তানক সংসাৰৰ কোনো উপযুক্ত কাৰ্য্যত লগাই দিবলৈ সক্ষম নহয়। তদুপৰি বহুত শিক্ষিত যুৱকক প্ৰেম-বিৰহৰ তীব্ৰ জ্বালাত জ্বলাকলা হোৱাও দেখা যায়।

এজন লিখকে কৈছে যে সভ্যতা-বিস্তাৰৰ লগে লগে, সাহবিলাহৰ সামগ্ৰী দৈনিক বাঢ়ি অহাৰ কাৰণে, প্ৰকৃতিৰ প্ৰলোভন আৰু দাবী উপেক্ষা কৰি-বলৈও মানুহে কিছু পৰিমাণে শিকিছে। বৈজ্ঞানিক যুগৰ বিবিধ আৱিষ্কাৰে মানৱ-মন বিক্ষিপ্ত কৰি যৌন সুখৰ কল্পনা কমাই দিছে। "There are so many more pleasures now that can be enjoyed as well as or even better in celebacy". অৰ্থাৎ ইন্দ্ৰিয় সুখ পৰিহাৰ কৰিও মানসিক আৰু শাৰীৰিক নানা প্ৰকাৰ সুখ কুমাৰ হৈ বেছি ভালকৈহে উপভোগ কৰিব পাৰি।

মানসিক শক্তিৰ বিৰাট পৰিচালনা আৰু অসীম উৎকৰ্ষ সাধনেই কৌমাৰ্য্যৰ এটি প্ৰধান লক্ষ্য। বিবাহৰ কথালৈয়ে আজি কোনো শিক্ষিত নৰ-নাৰী ব্যস্ত নাথাকে। মানুহৰ মিলন-কামী মনে আজি সংসাৰত উন্নতিকামী হৈ নতুনৰ সন্ধানত ব্যস্ত হবলৈ শিকিছে। যৌন-বাসনাৰ আধিক্যই মস্তিষ্কৰ উৎকৰ্ষ সাধনত প্ৰতিবন্ধক জন্মায়। প্ৰকৃতিৰ ৰাজ্যতো লক্ষ্য কৰিলে দেখি-বলৈ পোৱা যায় যে বেছি কামুক জন্তুবোৰ কাম-প্ৰবৃত্তিত বেছিকৈ আসক্ত থাকে বাবেই বেছি মূৰ্খ। যেঁৰা, গাহৰি আদিয়েই ইয়াৰ প্ৰমাণ। তথাপি ইন্দ্ৰিয় আসক্তি বা যৌন কামনা বিনাশৰ দ্বাৰা মানসিক শক্তিৰ বিকাশ সাধন কৰিবলৈ নিবিচাৰি তাৰ সুনিয়ন্ত্ৰণৰ দ্বাৰাহে তাকে কৰিবলৈ বিচৰাটো বিজ্ঞান-সন্মত পন্থা।

সভ্যতা বিস্তাৰৰ লগে লগে মানুহৰ আদৰ্শ আৰু আকাঙ্ক্ষাও উচ্চ হৈ আহিল। আদৰ্শৰ মিলন নহলে—মনৰ ঐক্য নহলে শিক্ষিত যুৱক-যুৱতীৰ মিলনে অনৰ্থক আহুকালহে সৃষ্টি কৰে। এনেবোৰ চিন্তা প্ৰত্যেক শিক্ষিত লোকৰ মনতেই উদয় হয়। সেই বাবেই শিক্ষিতৰ মাজত কৌমাৰ্য্য ইমান বেছি।

কিছুমান মানুহৰ মতে বিবাহ কেৱল ইন্দ্ৰিয় সম্ভোগৰ এটি উপায় মাত্ৰ আৰু সেইবাবেই ই পাপ কাৰ্য্য। নাগপুৰৰ ওচৰৰ কোন জাতীয় লোক কিছুমানক এজন মিছনেৰীয়ে কথা প্ৰসঙ্গত সুধিছিল—"কুকুৰেও পাপ কৰিব

পাৰেনে ?" সিহঁতে উত্তৰ দিছিল—"নহলে তাৰ জন্ম হ'ব কেনেকৈ ?"

সিউ হিব্ৰাইডিচবিলাকৰ মতে সহবাস অপবিত্ৰ কাম। টেবিটিয়ান-বিলাকৰ বিশ্বাস যে মৃত্যুৰ কেইমাহমান আগৰেপৰা স্ত্ৰী-সংসৰ্গ সম্পূৰ্ণ ত্যাগ কৰিব পাৰিলে মানুহ পোনেই স্বৰ্গলৈ যাব পাৰে। কালিফৰ্ণিয়াৰ খেবোকবিলাকে হেনো চিকাৰলৈ যোৱাৰ তিন দিন আগৰেপৰা স্ত্ৰী-সংসৰ্গ পৰ্য্যন্ত পৰিত্যাগ কৰিব লাগে। নহলে চিকাৰ পোৱা নাযায়—এয়ে তেওঁ-লোকৰ ধাৰণা।

গ্ৰীণলেণ্ডৰ লোকৰ বিয়াৰ এবছৰৰ ভিতৰতে সন্তান হলে মাক-বাপেকে সমাজৰ গঁৰিহনা খাব লাগে। তেনে লোকক কুকুৰৰ লগত তুলনা কৰা হয়। ফিজী দ্বীপত পতি-পত্নীয়ে নৈশ মিলনৰ বাবে চৌৰ্য্যবৃত্তি অৱলম্বন কৰিব লাগে। আনকি একে ঘৰৰ ভিতৰত স্বামী স্ত্ৰীৰ চলাচল অশো-ভনীয় বুলি বিবেচনা কৰা হয়।

দেৱতাৰ কাৰণে জীৱন উছৰ্গা কৰি ইন্দ্ৰিয় দমনৰ দ্বাৰা পৱিত্ৰ জীৱন যাপন কৰিবলৈ লোৱা নৰ-নাৰীৰ সম্প্ৰদায় বহু দেশত আছে। বিবাহ বন্ধনৰ পৰা যি সাংসাৰিক মোহ ওপজে সি উচ্চ চিন্তা বা গভীৰ ধ্যানত ব্যাঘাত জন্মায়—এনে ধাৰণায়ে সন্ন্যাসী আৰু ঋষি-মুনিসকলৰ স্ত্ৰী-সংসৰ্গ ত্যাগৰ মূল কাৰণ। তেওঁলোকৰ মতে কামিনী-কাঞ্চন মোক্ষ লাভৰ ঘোৰ প্ৰতিবন্ধক।

বৌদ্ধ ৰীতিনীতিমতে কামভাৱ আৰু অজ্ঞানতাই মানৱ-জাতিৰ দুখৰ কাৰণ। এঠাইত কোৱা আছে যে, জ্ঞানীলোকে বিবাহিত জীৱনক কয়লাৰ অগ্নিকুণ্ড বুলি ত্যাগ কৰিব লাগে। সেইবাবেই বৌদ্ধধৰ্ম্মমতে বিবাহিত হৈ কোনো সন্ন্যাসী হ'ব নোৱাৰে। তিব্বতৰ কিছুমান লামাক বিয়া কৰাবলৈ দিয়া হয়—কিন্তু বিবোৱে বিয়া নকৰায় তেওঁলোকক বেছি পৱিত্ৰ জ্ঞান কৰা হয়। ভিক্ষুণীসকল সৰ্ব্বতোভাৱে অবিবাহিতা থাকিব লাগে।

[illegible] যদিও বৈবাহিক জীৱনৰ প্ৰশংসা আৰু সমাদৰ আছে, তথাপি অবিবাহিত সকলকো অসাধাৰণ লোক বুলি শ্ৰদ্ধাৰ চকুৰে চোৱা হয়। খ্ৰীষ্ট-ধৰ্মৰ কোনো কোনো কৈদৰ ধৰ্মগুৰুসকলে বিশ্বাস আৰু প্ৰচাৰ কৰে যে আদাম আৰু ইভে ঈশ্বৰৰ আজ্ঞা উলংঘা নকৰাহেঁতেন, অমৰত্ব লভিলেহেঁতেন। সেইবাবেই পাপৰ প্ৰায়শ্চিত্ত হিচাপে আদাম-ইভৰ বংশধৰসকল মৰণশীল হৈ কাম প্ৰবৃত্তিৰ দ্বাৰা পুনঃ পুনঃ জন্মিবলগীয়া হ'ল—সেয়েহে মানুহ মৰণশীল।

বিবাহ আৰু যৌনাচাৰ

বিয়াক ইংৰাজীত Marriage বোলে। Merry অৰ্থাৎ ৰঙিয়াল বা ফুৰ্ত্তিবাজ শব্দৰ লগত বানানৰ ফালেদি ইয়াৰ পাৰ্থক্য থাকিলেও অৰ্থৰ ফালেদি কিন্তু দুয়ো সগোত্ৰ বুলি চিনাকি দিয়ে। পাশ্চাত্যত বিয়া ৰং বা আনন্দৰেই কাম। বিয়াৰ আগতে তাত স্বামী-স্ত্ৰীৰ মুখৰ চিনাকি, বচনৰ চুপতি, হাঁহি-খিকিন্দালি আদি ৰং-ৰহইচৰ নানানটা পৰ্ব্ব হৈ যোৱাৰ উপৰিও সহ-ভ্ৰমণ, সহ-ভোজন, সহ-নাচন আদি সহযোগিতামূলক অনেক কাম হৈ যায়। বিবাহে তেওঁলোকক সহবাসৰ আইন-সঙ্গত অনুমতি মাত্ৰ দিয়ে। বিবাহৰ পিছতো তেওঁলোকৰ কিবা কাৰণত মনোমালিন্য হলে—এৰা-এৰি হোৱাৰ অৰ্থাৎ বিবাহ-বন্ধন বিচ্ছিন্ন কৰাৰ দস্তুৰ আছে। সেইবাবে পাশ্চাত্য জগতত বিবাহ সিমান সমস্যাৰ কথা নহয়।

প্ৰাচ্যত, বিশেষকৈ ভাৰতত বিবাহ এটি গধুৰ দায়িত্বৰ কাম। বিবাহে স্ত্ৰী-পুৰুষৰ মাজত লগ্ন-গ্ৰন্থি বান্ধি দি দুয়োৰো প্ৰতি দুয়োৰো কৰ্ত্তব্যৰ দায়িত্ব মূৰত তুলি দিয়ে। বিয়াৰ মালা মূৰত লোৱাৰ লগে লগে দৰা-কন্যাই দেৱ-দ্বিজ আৰু সামাজিক সাক্ষী কৰি কিছুমান দায়িত্ব গ্ৰহণ কৰে। এয়ে প্ৰাচ্যৰ হিন্দু-বিবাহৰ সাধাৰণ নিয়ম।

হিন্দুসকলৰ ভিতৰত এটা বিশ্বাস চলি আহিছে যে বিয়াৰ কন্যা যদি দৰাতকৈ বিয়াৰ আগতে ওখ হৈও থাকে, তথাপি বিয়াৰ দিনাৰপৰা তেওঁ দৰাতকৈ চাপৰ হবই হব। বজতন্ত্ৰই হেনো বিয়াৰ দিনা নাতলেৰে এটি বিয়াৰ কন্যাক দৰাতকৈ চাপৰ কৰি দিয়ে। ইয়াৰ অৰ্থ এনে হব পাৰে যে মাক-বাপেকৰ ঘৰৰ-তৰুণী মুকলি-মূৰীয়া গাভৰুৰ মূৰ বিয়াৰ দিনাৰপৰা দায়িত্বৰ বোজাত দোঁ-খাই যায়। গাৰ্হস্থ্য জীৱনৰ চিন্তাই [illegible] হয়।

আৰণ্যক যুগত মানুহৰ বৈবাহিক জীৱন অতিশয় মুকলি-মূৰীয়া আছিল। পিছত ধৰ্মৰ বান্ধোনে তাক শৃঙ্খলাবদ্ধ কৰি তুলিলে। হিন্দুসকলৰ বিবাহিত

জীৱনৰ কৰ্তব্য কিদৰে বিধি-নিবদ্ধ হৈ আছিল—তাৰ ইঙ্গিতহালো অতিশয় আমোদজনক।

ধৰ্ম শব্দৰ অৰ্থ যি ধৰি ৰাখে (ধৃ+মন্)। অৰ্থাৎ সমাজখনক বিধি-ব্যৱস্থা দি ভাগি যাব নোৱাৰাকৈ যি বান্ধি ৰাখে। হিন্দুধৰ্ম্মত এই অৰ্থ ভালকৈ খাটে, কাৰণ হিন্দুধৰ্ম্ম ক্ৰমাৎ গঢ়ি উঠা কিছুমান নীতি-নিয়মৰ সমষ্টি। বৌদ্ধ, খ্ৰীষ্ট, ইচলাম আদি ধৰ্ম্মৰ দৰে ইয়াক কোনো এগৰাকী মহা-পুৰুষে কোনো এক নিৰ্দিষ্ট সময়ত প্ৰচাৰ কৰা নাই। ইয়াৰ চিৰাচৰিত নীতি-নিয়মবোৰে ইয়াক ভাগি খান্-বান্ হৈ যাব নোৱাৰাকৈ ৰাখিছে। তেনেহলে দেখা যায় সমাজৰ নীতি আৰু শৃঙ্খলাই ধৰ্ম্ম। মানুহৰ যৌনাচৰক নীতি-নিয়মৰ ভিতৰলৈ আনি সামাজিক স্বীকৃতি দান কৰাই বিবাহ। মনীষী বাৰ্ণাৰ্ড শ্বৰ মতে ই আইনসঙ্গত বেশ্যা-সম্ভোগ বা ইন্দ্ৰিয়ৰ পৰিতৃপ্তি (legalized prostitution)। মহানাটকত সেইবাবেই পত্নী সম্পৰ্কে কোৱা হৈছে—

কাৰ্য্যেষু মন্ত্ৰী, কৰণেষু দাসী।
ধৰ্ম্মেষু মাতা, ক্ষময়া ধৰিত্ৰী॥
স্নেহেষু মাতা, ৰমণেষু বেশ্যা।
ৰঙ্গে সখী লক্ষণ সা প্ৰিয়া মে॥"

অৰ্থাৎ তিৰোতা স্বামীৰ কাৰণে মন্ত্ৰী, দাসী, পত্নী, আই, সখী আদি সকলো।

অতীজতে স্ত্ৰী-পুৰুষৰ যৌনাচাৰ বা সম্ভোগত বাধা-বিঘিনি নাছিল। নিৰঙ্কুশ ৰতি-বিলাসত সকলোৰে সমান অধিকাৰ আৰু সুবিধা আছিল। ইন্দ্ৰিয় পৰিতৃপ্তিৰ কাৰণে কোনেও বিবাহৰ আইন-সঙ্গত অধিকাৰ লভিবলৈ বাট চাব নালাগিছিল। কামভাব জাগ্ৰত হলেই তাৰ চৰিতাৰ্থ হোৱাটো সহজ কথা হৈ পৰিছিল। পিয়াহত পুখুৰীৰ পানী যিদৰে অবাধে খোৱা যায়, কাম-তৃষ্ণা জাগিলেও নৰ-নাৰীয়ে সেইদৰে ভোগৰ মাজেদি তাৰ পৰিতৃপ্তি লভিব পাৰিছিল। এই নীতি সিদিনালৈকে চিৰাৰ অধিকাংশ লোকৰ মাজত অবাধে চলি আছিল: এনে ধৰণৰ অবাধ মিলন আৰু বিচৰণ সেইসময়ত কচিয়াতে কিয়-সমগ্ৰ মানৱ জাতিৰ মাজতেই প্ৰচলিত আছিল। মহাভাৰতত এনেবোৰ কাৰ্য্যৰ অজস্ৰ উদাহৰণ পোৱা যায়।

মহাভাৰতৰ আদিপৰ্ব্বত এটাইত বৃদ্ধ পাণ্ডুৱে তেওঁৰ পত্নী কুন্তীক আৰু

পতি গ্ৰহণ কৰি সন্তান জন্মাবলৈ যুজনি দিয়াৰ ছলেৰে নানা দৃষ্টান্ত দি কৈছিল—

অনাবৃতাঃ কিল পুৰা স্ত্ৰিয় আসন্ বৰাননে।
কামাচাৰবিহাৰিণ্যঃ স্বতন্ত্ৰাশ্চাৰুহাসিনি। ইত্যাদি।

—১১৬।৪ আদিপৰ্ব

সেই গোটেইখিনি কথাৰ ভাঙনি দিলে এনেকুৱা হব—হে চাৰুহাসিনি! পূৰ্ব্ব যুগত নাৰীজাতি যৌন লীলাৰ ক্ষেত্ৰত সম্পূৰ্ণ নিচিনাই আছিল—লজ্জাহীনা, নিৰঙ্কুশ, অনাবৃতা। তেওঁলোকে তেতিয়া আনকি বিয়াৰ পাছৰ-পৰাই পতিক এৰি ইচ্ছানুসাৰে অন্য পুৰুষৰ লগত বিচৰণ কৰিব পাৰিছিল। তেনে কৰিলে একো অধৰ্ম্ম নহৈছিল। কিয়নো প্ৰাণীসকলৰ ই চিৰন্তন স্বভাৱ। মানুহৰ বাহিৰে প্ৰাণী-জগতৰ অন্যবোৰ জীৱ-জন্তুৱে আজিও বিবেক-শূন্য হৈ প্ৰাচীন ধৰ্ম্ম অনুসৰণ কৰি থাকে। মহৰ্ষিসকলে সকলো কথা প্ৰত্যক্ষ দেখিছিল কাৰণে আজিও এই নীতি অনুসৰণ কৰে; আৰু উত্তৰ-কুৰুত এই নীতি আজিও চলি আছে। যি কাৰণত এই নীতি উঠি গ'ল তাক উদ্দালক মুনিৰ পুত্ৰ শ্বেতকেতুৰ কাহিনীত বৰ্ণোৱা আছে। শ্বেতকেতুৱে পিতাকৰ সাক্ষাতত্তে নিজৰ মাকৰ ওপৰত পৰপুৰুষৰ অন্যায় বলাৎকাৰ দেখি জগতত স্ত্ৰী-পুৰুষৰ কাৰণে বিবাহ-বন্ধন কঠোৰ কৰি দিয়ে।

চকাৰ চৈব মৰ্য্যাদামিমাং স্ত্ৰীপুংসয়োৰ্ভুবি।

১১৬।১৭ (আদি পৰ্ব্ব)।

এইদৰে ক্ৰমে তিৰোভাৱ কাৰণে বহুপতি ভজন নিষিদ্ধ হ'ল যদিও পুৰুষৰ কাৰণে বহুপত্নী গ্ৰহণৰ সুবিধাটি হলে চলি থাকিল। ব্যাসদেৱে মহাভাৰতত্তেই পঞ্চ-পাণ্ডৱৰ দ্ৰৌপদীৰ লগত বিয়াৰ স্থিৰ কৰি এইদৰে উপদেশ দি থলে—"মানুহৰ মাজত এনেকুৱা বহুপতিৰ বিধান নাথাকিব। পাণ্ডৱ-সকল মানুহ নহয়। তেওঁলোক দেৱতাৰ অংশ। দ্ৰৌপদীও স্বৰ্গ-লক্ষ্মীৰ অৱতাৰ। সতিকে পূৰ্ব্ব-জন্মৰ সুকৃতি বশতঃ আৰু মহাদেৱৰ বৰৰ হেতুকে এক দ্ৰৌপদীয়ে এতিয়া পঞ্চ-পাণ্ডৱৰ ভাৰ্য্যা হোৱাত দোষ নাই; দেৱতা-সকলৰ কাৰণে এনেকুৱা বিবাহ বিধি-বিহিত। অন্য মানুহৰ কাৰণে ই ধৰ্ম্ম নহয়। অৰ্থাৎ দেৱাংশত জন্মা পুৰুষসকলৰ ক্ষেত্ৰত বহুত পুৰুষৰ ভিতৰত

একাধিক পত্নী থাকিব পাৰে, কিন্তু সামান্য লোকৰ ক্ষেত্ৰত সি বিধি-বিহিত নহয়।

মূঠ কথা, মুনিসকলৰ আৰু দেৱতা বা দেৱতাৰ অংশ লৈ জন্মা লোকসকলৰ কাৰণে সেই সময়ত নীতি-নিয়ম আছিল সুকীয়া। সেয়েহে মহাভাৰতত আছে যে মুনিকন্যা বাৰ্ক্ষীৰ দহোটা আৰু গৌতমী জটিলাৰ সাতোটা পতি আছিল। ইফালে নিৰ্জৰ বিবাহিতা পত্নী থকা সত্ত্বেও পাণ্ডৱসকলৰ ভিতৰত ভীম আৰু অৰ্জুনে অনেক ঠাইত অন্য পত্নী সাময়িকভাৱে হলেও গ্ৰহণ কৰিছিল। সেইবোৰৰ যুক্তি অৱশ্যে মহাভাৰত-প্ৰণেতা ব্যাসদেৱে নিদিয়াকৈ থকা নাই। উলুপীয়ে যেতিয়া অৰ্জুনক নাগৰাজ্যলৈ নি যুক্তিৰে কৈছিল—"হে পাৰ্থ, মই তোমাৰ অনুৰক্তা ভক্তা! তুমি মোক পত্নীৰূপে গ্ৰহণ কৰা।" (ভক্তাঞ্চ ভজ মাং পাৰ্থ! সত্যমেতন্মতং প্ৰভো!)—আৰু সেইদৰে হিড়িম্বায়ো যেতিয়া ভীমক কাতৰভাৱে কৈছিল—'হে প্ৰিয়, তুমি মোক যদি সঁচাকৈয়ে পত্নীৰূপে ব্যৱহাৰ নকৰা তেন্তে সত্যে সত্যে কৈছোঁ যে ময়ো আপোনঘাতী হৈ মৰিম" (প্ৰত্যাখ্যাতা ন জীৱামি সত্যমেতদ্ ব্ৰৱীমি তে)। তেতিয়া অৰ্জুনে আৰু ভীমে অৱস্থাৰ দাস হৈ আতুৰক ৰক্ষা কৰিবলৈহে ক্ৰমে উলুপী আৰু হিড়িম্বাৰ মনোবাঞ্ছা পূৰ্ণ কৰিছিল।

ভীমাৰ্জুনে অন্য পত্নী গ্ৰহণ কৰাৰ পক্ষে দুই এটা আকৰ্ষণীয় যুক্তি আছেই; কিন্তু মুনি আৰু দেৱতাসকলৰ ক্ষেত্ৰত হলে সমাজৰ বিধি-ব্যৱস্থা অনেক সময়ত কাতি হৈ পৰি ৰৈছিল যেন অনুমান হয়। অন্য নালাগে, মহাভাৰতৰ দীৰ্ঘতমা ঋষিৰ জন্ম বৃত্তান্তলৈয়ে চাওক—। ঘটনাটো মূল মহাভাৰতৰ শ্লোকৰ ভাঙনিতে দিয়া হ'ল। (আদি পৰ্ব্বৰ ১১৮ অধ্যায়ৰ ৯ৰ পৰা ২১ নম্বৰ শ্লোকৰ ভাঙনি;)

পূৰ্ব্বকালত উতথ্য নামে এজন বিচক্ষণ ঋষি আছিল। মমতা নামে তেওঁৰ একমাত্ৰ প্ৰিয়তমা ভাৰ্য্যা আছিল। উতথ্য ঋষিৰ ভায়েক আছিল দেৱতাসকলৰ পুৰোহিত স্বয়ং পণ্ডিত বৃহস্পতি। এদিন দেৱগুৰু বৃহস্পতি কামাতুৰ হৈ গৈ বৌয়েক মমতাৰ ওচৰ চাপিল। মমতাই দেওৰেক বৃহস্পতিৰ মতলব বুজিব পাৰি বুজনি দি কলে—"তোমাৰ ককায়েৰাৰ মই বিবাহিতা পত্নী আৰু তোমাৰ পূজনীয়া বৌয়েৰা। ককায়েৰাৰ ঔৰসত মই এতিয়া গৰ্ভৱতী। তুমি পণ্ডিত লোক। গতিকে জানি-বুজি এই অসলত প্ৰতাৰণ-

পৰ' তুমি বিৰত থাকা। বিশেষতঃ তোমাৰ ককায়েৰা মহাত্মা উতথ্যৰ পুত্ৰই এতিয়া ধ্যানৰ বলত মোৰ গৰ্ভতে ষড়ঙ্গ বেদ অধ্যয়ন কৰিব লাগিছে। তুমিও ইফালে অব্যৰ্থৰেতা; গতিকে মোৰ এটি মাত্ৰ ক্ষুদ্ৰ উদৰত দুটি সন্তানৰ স্থান কেনেকৈ হব? গতিকে তুমি ক্ষান্ত হোৱা।"

মমতাই এইদৰে কোৱাতো পৰম তেজস্বী পণ্ডিত বৃহস্পতিয়ে নিজৰ কামাতুৰ চিত্তক নিবৃত্ত কৰিব নোৱাৰিলে (কামাত্মানং তদাত্মানং ন শশাক নিয়চ্ছিতুম্)। তেওঁ যেতিয়া কামভাৱৰহিতা মমতাৰ প্ৰতি দুৰ্ব্যৱহাৰ কৰিবলৈ উদ্যত হ'ল, তেতিয়া গৰ্ভস্থ বালকে মাত দিলে—"পিতৃব্য, আপুনি কাম-ব্যৱহাৰত প্ৰবৃত্ত নহব (ভো তাত! মা গমং কামং...); কাৰণ ইয়াত দুজনাৰ ঠাই নাই। ঠাই নিচেই তাকৰ। তাতে মই আগে আহি বৈ আছোঁ। আপুনিও অব্যৰ্থবীৰ্য্য। গতিকে মোক আপুনি অযথা পীড়া নিদিব।"

বৃহস্পতিয়ে গৰ্ভস্থ বালকৰ কথালৈ ভ্ৰূক্ষেপ নকৰি ৰমণাৰ্থে সুলোচনা মমতাক যথাবিহিত ধৰি ললে। তেতিয়া উপায়ান্তৰ নাপাই মমতাৰ গৰ্ভত থকা সেই মুনি-পুত্ৰই নিজৰ চৰণযুগলৰ দ্বাৰা এনেকৈ পথৰুদ্ধ কৰি ধৰিলে যে মমতাৰ গৰ্ভত বৃহস্পতিৰ শুক্ৰ-প্ৰৱেশ সম্ভৱ নহ'ল। প্ৰভাৱশালী বৃহস্পতিয়ে তেতিয়া ক্ৰুদ্ধ হৈ গৰ্ভস্থ উতথ্য-পুত্ৰক শাপ দিলে—"পাষণ্ড, সমস্ত প্ৰাণীৰ বাঞ্ছিত এনে মধুৰ ক্ষণত তই মোক বিদৰে দুৰ্ব্যৱহাৰ কৰিলি তাৰ বাবে তই দীৰ্ঘকালৰ কাৰণে অন্ধ হবি।" সেয়েহে উতথ্যৰ পুত্ৰ দীৰ্ঘতমা ঋষি আছিল জন্মান্ধ। এনেকুৱা অনেক কাহিনী মূল মহাভাৰতত আছে।

এনে ব্যৱহাৰক ধৰ্ম্মাচাৰ নুবুলি ব্যভিচাৰ আখ্যা দিয়া যায়। কিন্তু 'যি দেশৰ যি ভাও, তজা মাছৰ চাৰি পাও।' সেই সময়ত সেয়ে আছিল ধৰ্ম আৰু ঋষিকৃত সেই ধৰ্ম্মাচাৰ বা ব্যভিচাৰৰ মাজেদিয়ে,—আধুনিক যুগত ইংৰাজী শিক্ষাৰ মাজেদিয়ে মহাত্মা গান্ধী, জৱাহৰলাল নেহৰু আদি মনীষীসকল গঢ় লৈ উঠাৰ দৰে,—বেদব্যাসৰ দৰে পৰম পণ্ডিত ত্ৰিকালজ্ঞ ঋষিৰো জন্ম হৈছিল। কেনেকৈ হৈছিল তাক অসমীয়া মহাভাৰতৰ আদি-পৰ্ব্বৰ পৰাই কোৱা যাওক—।

এদিন পৰাশৰ মুনি হাতত কমণ্ডলু লৈ ত্ৰিন-দুপৰীয়া যমুনাৰ পাৰেদি

থাওঁক। বাটত মানুহ-দুনুহ কোনো নাই। নৈৰ পাৰতো কেও ক'তো নাই। ঋষিয়ে বাটলৈ চাই দেখে এগৰাকী দীপ্‌লিপ যুৱতী কন্যাই মদীত নামি গা ধুব লাগিছে। ওচৰতে এখন নাও বন্ধা আছে। ঋষি গ'ল নৈ পাৰ হ'বলৈ। তেওঁ নিজৰ পৰিচয় দি যুৱতীক নৈখন পাৰ কৰি দিবলৈ ধৰিলে। যুৱতীয়ে ঋষিৰ কথা মতে ঋষিক নাৱত তুলি ললে আৰু নাও-খন বাই নিবলৈ ধৰিলে।

একেই নিৰ্জ্জন নৈৰ বুকু, তাতে দিন-দুপৰীয়া নাৱৰ ওপৰত ঋষি আৰু যুৱতী মাত্ৰ। ঋষিৰ সংযত মন চঞ্চল হৈ উঠিল। তেওঁ যুৱতীৰ ওচৰলৈ গৈ তেওঁৰ নাম-ধাম সুধিলে। যুৱতীয়ে কলে—তেওঁৰ নাম সত্যৱতী; ধীবৰ ৰজাৰ জীয়ৰী। গাত মাছৰ গোন্ধ থকা বাবে তেওঁক মানুহে মৎস্যগন্ধা বুলিও মাতে।

কামোন্মত্ত ঋষিয়ে ইয়াতে এটি সুকণ্ঠা পালে। তেওঁ তৎক্ষণাৎ কন্যাৰ গাৰ মৎস্য-গন্ধ গুচাই দিবলৈ বুলি কমণ্ডলুৰ পানী—সত্তৰ চন্দন-মিশ্ৰিত আতৰ আৰু গোলাপজল—যুৱতীৰ সৰ্ব্বশৰীৰত ছঁটিয়াই দিলে। লগে লগে ঋষিৰ মুখৰপৰা সহাস্য বচন ওলাল—

হয়োক অমূল্য ঘ্ৰাণ তোৰ শৰীৰৰ।
হৈবেক যোজনগন্ধা নাম শ্ৰেষ্ঠতৰ ॥

অৰ্থাৎ—আজি মই ছঁটিয়াই দিয়া এই গন্ধ-জলৰ প্ৰভাৱত তোমাৰ শৰীৰ সদায় সুগন্ধত আমোল-মোলাই থাকিব আৰু তোমাৰ নামো হব মৎস্যগন্ধাৰ ঠাইত যোজনগন্ধা বা গন্ধৱতী।

ঋষিয়ে তাৰ পিছত কথাৰ লাচতে প্ৰস্তাৱ দিলে—"সত্বৰে সুন্দৰী মোক দেহ আলিঙ্গন।" সত্যৱতী তো মহা বিপাঙত পৰিল! নাৰীৰ কাৰণে আত্ম নিবেদন সহজ কথা নহয়। যদিও আতৰ-গোলাপজলৰ গোন্ধত মন উন্মত্ত হৈ আছিল, যদিও পুৰুষ পৰাশৰৰ স্পৰ্শই তেওঁৰ ধমনিত যৌৱনৰ তপত তেজৰ প্ৰবাহ বোৱাইছিল, যদিও নৈৰ বুকুৰ নিৰ্জ্জনতাই যৌৱনৰ বিদ্ৰোহী মনক উতলা কৰি তুলিছিল – তথাপি ইমান সহজে তেওঁ যৌনাচাৰৰ চৰম কাৰ্য্যৰ বাবে আত্মসমৰ্পণ কৰে কেনেকৈ? লাজ আৰু আত্ম-অভিমান নাৰীৰ হৃদয়-দুৰ্গৰ দুৰ্জয় দুৱৰী স্বৰূপ। তথাপি লাজ-মান কাতি কৰি থৈ তেওঁ উত্তৰ দিলে—'মই অবোধ বালিকা। একো নাজানো। তুমি কিন্তু ঋষি।

তুমি সকলো জানা। এনে স্থলত মই তোমাক অসন্তুষ্টও কৰিব নোৱাৰো ; সন্তুষ্ট কৰিবলৈও অসমৰ্থ! কি উপায়েৰে নো মই বাৰু তোমাক এতিয়া তুষিম ?" —

মইতো অবুদ্ধি বালা তুমি সৰ্ব্বজ্ঞান।
কেন মতে তোমাক স্বৰতি দিবো দান ?

তাৰ উত্তৰত—"দিওক শৃঙ্গাৰ আৰে, আন কিছু নাই" বুলি ঋষি আৰু এখোজ আগবাঢ়ি গ'ল ; কিন্তু ধীবৰ-কন্যা সত্যৱতীও কম নহয়। অন্য নহলেও যৌৱনে তেওঁক শিকাইছে যে অবাধ আত্ম-সমৰ্পণ স্বৰতিসন্মত কৌশল নহয়। যুৱতীৰ প্ৰাথমিক অসম্মতিয়ে মিলনাকাঙ্ক্ষী প্ৰেমিকৰ সম্ভোগ-স্পৃহা বৃদ্ধি কৰে। সত্যৱতীয়ে কলে—"ঋষিৰাজ, তুমি ঋষি হৈ কেনে অহিতকৰ প্ৰস্তাৱ দিছা চোৱাচোন! চাৰিওফালে পুণ্য-তোয়া যমুনাৰ জল। জলক জলৰূপী নাৰাণ বুলি ধৰা হয়। তাৰ ওপৰত আকৌ নৌকা! নৌকাও মাতৃস্বৰূপা। এনে স্থলত নৌকাসম্ভোগ ধৰ্ম-নিষিদ্ধ নহয় জানো ?"

সত্যৱতী বোলে কিনো বাক্য অমঙ্গল।
চতুষ্পাৰ্শ্বে বেঢ়ি আছে যমুনাৰ জল।।
নৌকাই জননী সম জলে নাৰায়ণ।
ইয়াত শৃঙ্গাৰ দিলে ধৰ্ম অকাৰণ।।

ঋষিৰ বুজিবলৈ বাকী নাথাকিল যে তেওঁৰ অভিযান তেনেই ব্যৰ্থ হোৱা নাই। কেৱল কামোন্মত্তা ধেনুবৎ সত্যৱতীয়ে তেওঁক ব্যগ্ৰ কৰিহে তুলিছে। তেওঁ তেতিয়া তপৰ বলত নদীৰ মোমাজতেই দীপ এটা নিৰ্মাণ কৰিলে। দীপত নানা প্ৰকাৰ গছ-গছনি। ফলে-ফুলে দীপ তেতেই আতিকাৰ হৈ পৰিল। ঋতুৰাজ বসন্তৰ ভাত আবিৰ্ভাৱ হ'ল। চাই থাকোঁতেই নৌকাৰে গৈ পৰাশৰে সত্যৱতীক বাহুত ধৰি দীপত তুলিলেগৈ।

সত্যৱতীয়ে তেতিয়া আকৌ আপত্তি তুলিলে—"দিন-দুপৰৰ বেলিৰ পোহৰত সঙ্গম জানো সম্ভৱ ? পুৰুষৰ কাৰণে সি সুসাধ্য হলেও লজ্জাৱতী ৰমণীৰ কাৰণে অসম্ভৱ। মই এনে হেন দিনৰ পোহৰত তোমাৰ প্ৰস্তাৱত মান্তি হব নোৱাৰোঁ।—"দিনতে শৃঙ্গাৰ দান নুহি ব্যৱহাৰ।" তুমি দেখোন ঋষি হৈও কেনে অন্যায় কথা কোৱা—"তুমি দেখো অন্যায় কৰাহা জানি ভনি।"

ঋষিয়ে তেতিয়া উত্তৰ দিলে—"সুন্দৰী, তুমি এই মুহূৰ্ত্তত যি আদেশ

দিয়া তাকে মই কৰিবলৈ প্ৰস্তুত। কিন্তু হলে তুমি মোক নিৰাশ নকৰিবা।"

বি বোলহ মানে সবে কৰিবাক পাৰোঁ।

নেদেহ শৃঙ্গাৰ দান ইহাতেসে হাৰো ॥

এই বুলি তেওঁ তপৰ বলত দিনতে এন্ধাৰ কৰি পেলালে। চাৰিওফালে কুঁৱলীয়ে আগুৰিলে। কাকো ক'তো নেদেখা হ'ল। ঋষিয়ে তেতিয়া সত্য-বতীক আৰু কথা কবলৈ সুবিধা নিদি—

দিওক শৃঙ্গাৰ আৰে এৰা আল জাল।

নিদিলে নেৰিবো আৰু নাপাতা জঞ্জাল ॥

এহি বুলি পৰাশৰে ধৰিলা হাতত।

পূৰিলা শৃঙ্গাৰ আপোনাৰ অভিমত ॥

পৰাশৰ-সত্যৱতীৰ এই গুপুত আৰু আজিৰ বিচাৰত অবৈধ মিলনৰ ফলতেই জন্ম হৈছিল মহামুনি ব্যাসদেৱৰ। দ্বীপত জন্মিছিল কাৰণেই তেওঁক বোলা হৈছিল দ্বৈপায়ন ব্যাস। বেদ, পুৰাণ, ভাৰত, ভাগৱত আদি ৰচোঁতা বেদব্যাস এৱেঁই। এই সত্যৱতীয়ে পিছত ৰজা শান্তনুৰ পত্নী হৈছিল।

নৰ-নাৰীৰ মাজত থকা মুক্ত-বিহাৰৰ অনেক কাহিনী পুৰণি পুথিৰ পাতে পাতে আছে। পুৰাণৰ মতে স্বয়ং প্ৰজাপতি ব্ৰহ্মায়ো এবাৰ নিজ কন্যা সৰস্বতীৰ প্ৰতি কামাসক্ত হৈছিল। তেনেকৈয়ে মিচৰীয় দেৱতা আমনে তেওঁৰ মাতৃৰ, স্কেন্দিনেভিয়াৰ দেৱতা ওডিনে তেওঁৰ কন্যাৰ আৰু ৰোমৰ দেৱতা জুপিটাৰে তেওঁৰ সহোদৰা ভগ্নী জোনোৰেই ৰূপ দেখি বিচলিত হৈছিল বুলি পুথিত উল্লেখ আছে।

বৈবাহিক সম্বন্ধ নোহোৱাকৈও অতীজৰ আৰ্যসমাজত যে মুক্ত-সম্ভোগ বাৰুকৈয়ে চলি আছিল তাৰ সাক্ষী ভাহানিৰ ভীম হিড়িম্বাৰ মিলন আৰু ঘটোৎকচৰ জন্ম; তাৰ সাক্ষী মণিপুৰত হোৱা অৰ্জুন-চিত্ৰাঙ্গদাৰ মিলন আৰু বভ্ৰুবাহনৰ জন্ম; তাৰ সাক্ষী পাতাল-পুৰীত উলুপী-অৰ্জুনৰ মিলন। মহাভাৰতত আছে যে উলুপীয়ে অৰ্জুনক এই যুক্তি দেখুৱাই ৰতি-ভিক্ষা খুজিছিল যে কামাৰ্ত্তা নাৰীৰ প্ৰাৰ্থনাত এক ৰাতিৰ যৌন সঙ্গম শাস্ত্ৰমতে অধৰ্ম নহয়। সেই যুগত হেনো যাহেকৈয়া ঋতুৰ অন্তত ঋতু-স্নাতা নাৰীয়ে যি পুৰুষকে ৰতি-ভিক্ষা কৰিছিল তেৱেঁই সেই নাৰীৰ মনস্কামনা পূৰণ কৰিবলৈ বাধ্য আছিল। সেয়ে নহলে তেওঁৰ ভ্ৰূণ-হত্যাপাতক লাগিছিল। ব্ৰহ্মচাৰী অৰ্জুনে তেনেকৈ অৰণ্যত উৰ্বশীৰ যৌন-মিলনৰ

আকাঙ্ক্ষা পূৰ নকৰা বাবেই অভিশপ্ত হৈ এবছৰৰ কাৰণে নপুংসক হব লগীয়া হৈছিল।

কোৱা বাহুল্য যে ঋষিসকল ব্ৰহ্মচাৰী হৈ সততে ধ্যানত নিবিষ্ট আছিল আৰু ধ্যান ভাগিলেই কামোন্মেষ হলে সুবিধা বুজি তেওঁলোকে কাম প্ৰবৃত্তি চৰিতাৰ্থ কৰিছিল। এই কাৰ্য্যত স্বৰ্গৰ অপ্সৰাসকলেই আছিল তেওঁলোকৰ পৰম বান্ধৱী স্বৰূপা। ঋষি-মুনিসকলৰ লগত অপ্সৰাসকলৰ কিমান ঠাইত যে কিমান প্ৰকাৰে মিলন আৰু ৰতি-বিলাস ঘটিছিল তাৰ হিচাপ দিয়া কঠিন। এফালে ঋষিসকলে কাম-প্ৰবৃত্তিৰ দাস হৈ তাৰ চৰিতাৰ্থৰ বাবা সংসাৰত প্ৰৱেশ কৰি সংসাৰী হব নোৱাৰে, ইফালে অপ্সৰাসকলো প্ৰকৃতিত চিৰ চঞ্চলা নবীনা যুৱতী; নৃত্য-গীতেই তেওঁলোকৰ কাম। গতিকে সুযোগে ক্ষণিক প্ৰীতি-সম্ভোগৰ সহায় হৈ পাৰিছিল দুয়ো। এনে চঞ্চল-মিলনৰ ফলতেই অনেক বিখ্যাত লোকৰ জন্ম হৈছিল। উদাহৰণ স্বৰূপে ভৰদ্বাজ মুনিৰ ঘৃতাচী নামৰ অপ্সৰাৰ লগত হোৱা ৰতি-সঙ্গমৰ ফলতেই জন্ম হৈছিল দ্ৰোণাচাৰ্য্যৰ, সেই একে ঘৃতাচী অপ্সৰাকেই ব্যাসেও ৰমণ কৰিছিল, আৰু তাৰ ফলতেই জন্মিছিল শুকদেৱ। ক্ৰোধৰ প্ৰতিমূৰ্ত্তি ঋষি বিশ্বামিত্ৰও এসময়ত কামৰ বশীভূত হৈ মেনকা নামৰ অপ্সৰীৰ পাকত পৰিছিল—আৰু সেই মিলনৰ ফলতেই জন্ম হৈছিল শকুন্তলাৰ। তাতকৈও বিস্ময়কৰ কথা মহাভাৰতৰ আদি পৰ্ব্বততেই আগতে উল্লেখ কৰা শ্বেতকেতু আৰু উদ্দালক মুনিৰ আখ্যানত পোৱা যায়। ঘটনাটো এনেকুৱা :

উদ্দালক ঋষিৰ পুত্ৰ শ্বেতকেতু আছিল তেতিয়া চেঙেলীয়া ল'ৰা। এদিন ঋষি উদ্দালকে শ্বেতকেতু আৰু পত্নীৰ লগত বহি কথা পাতি আছিল। এনেতে এটা যুৱা ব্ৰাহ্মণে আহি শ্বেতকেতুৰ মাকক বলপূৰ্বক টানি লৈ গ'ল। শ্বেতকেতুৱে পিতাকৰ ফালে সহায়ৰ কাৰণে চালে। কিন্তু পিতাকে একো প্ৰতিকাৰ নকৰা দেখি তেওঁ পিতাকৰ প্ৰতি ক্ৰুদ্ধ হৈ নিজেই যাবলৈ ওলাল তেতিয়া পিতাক উদ্দালক ঋষিয়ে তেওঁক বুজনি দি কলে—"খং নকৰিবা বোপা; এয়ে আমাৰ এতিয়া নিত্যধৰ্ম্ম, সমাজ-অনুমোদিত কৰ্ম। গো-জাতিৰ নিচিনা নাৰী জাতিয়েও স্বজাতীয় শত-সহস্ৰ পুৰুষৰ লগত সঙ্গম কৰিব পাৰে। তাত কোনো অধৰ্ম নহয়।"

শ্বেতকেতু, কিন্তু ঋষিৰ পুত্ৰ। তেওঁ এনে অসজত ৰীতি সমৰ্থন নকৰিলে। তেওঁ নিজে ঋষিত্ব লাভ কৰি পিছত গৈ সমাজত স্থায়ী বিবাহ প্ৰথাৰ প্ৰচলন কৰিলে। তেতিয়াৰেপৰা মুক্ত-সঙ্গম বা যৌন-লিপ্সাৰ নিৰঙ্কুশ নিবৃত্তি বন্ধ হৈ আহিল। ইয়াকে হিন্দুৰ বিয়াৰ আদি ইতিহাস বুলি বহুতে কব খোজে। শ্বেতকেতুৱে বিবাহ-প্ৰথা পোন প্ৰথমে হিন্দু-সমাজত প্ৰচলন কৰকেই বা নকৰকেই—এইটো কিন্তু ঠিক যে তেওঁ ব্যভিচাৰী ৰতি-সংযোগক বিধি-নিষিদ্ধ কৰি সমাজত এটা পৰিবৰ্তন আনিছিল। এই পৰিবৰ্ত্তনে সমাজত শৃঙ্খলা আনি দিলে।

অতিজৰ কোনো কোনো দেশত এনে সমাজ ব্যৱস্থাও আছিল যে যি কোনো নৱ-বিবাহিতা বধূকেই সৰ্বপ্ৰথম উপভোগ কৰাৰ অধিকাৰ সেই দেশৰ ৰজা, মহাৰজা বা সামন্তসকলৰ আছিল। ই ক্ষমতাশালীসকলে ইন্দ্ৰিয় পৰিতৃপ্তিৰ কাৰণে কৰা স্বেচ্ছাচাৰিতাৰ বাহিৰে আন একো নাছিল। তেনে-কুৱা আৰু এটা প্ৰথা প্ৰচলিত আছিল—তাৰ নাম আছিল—নিয়োগ প্ৰথা। তাৰ সহায়ত মৃত বা জীৱিত পতিৰ নামতো অন্যৰ দ্বাৰা পুত্ৰোৎপাদনৰ ব্যৱস্থা আছিল। তেনেকৈয়ে ব্যাস মুনিয়ে ধৃতৰাষ্ট্ৰ আৰু পাণ্ডুৰ জন্ম দিছিল। আমাৰ অসমৰ প্ৰাতঃস্মৰণীয় ডাকপুৰুষৰো জন্ম এনেকৈয়ে হৈছিল বুলি জনা যায়। ডাকৰ মাক আছিল নিসন্তান তিৰোতা। স্বামী থকাতো তেওঁ সন্তানৰ মুখ দেখা নাছিল। পিছত এদিন ভাটীৰ পণ্ডিত বৰাহমিহিৰ আহি সেই ঘৰত আলহী থাকিল। পুতেক পামত থকা কাৰণে শাহুৱেকে বোৱাৰীয়েকক আলহীৰ শুশ্ৰূষাত লাগিবলৈ দিলে। লগতে ইয়াকো কলে যে আলহী তুষ্ট হলেই তাই ল'ৰা পাব। ফলত সেয়ে হ'ল—পণ্ডিত বৰাহমিহিৰৰ অনুগ্ৰহত সঁচাকৈয়ে বুঢ়ীৰ সেই বোৱাৰীয়েকৰ গৰ্ভতেই ডাকপুৰুষ উপজিলহি।

ওপৰত উল্লেখ কৰা কাৰ্য্যাৱলীৰ পৰা স্পষ্টকৈ বুজা যায় যে সমাজত যৌন বিষয়ৰ স্বেচ্ছাচাৰিতা একালত বাৰুকৈয়ে চলিছিল। বিবাহ প্ৰথাই স্বেচ্ছা-চাৰিতাৰ বহু পৰিমাণে অৱসান ঘটায়। স্বেচ্ছাচাৰিতা বা ব্যভিচাৰৰ পিছতেই বহুপতি বিবাহৰ প্ৰচলন হয়। নাৰীৰ সংখ্যাল্পতাৰ কাৰণেই হওক বা সমাজৰ মঙ্গল বিধানৰ বাবেই হওক, বহুপতি বিবাহ এসময়ত বৰ প্ৰয়োজনীয় প্ৰথা হৈ উঠিছিল। সেই সময়ত কন্যাৰত্ন লাভৰ কাৰণে পিতৃ-মাতৃ বৰ আকুল হৈ পৰিছিল; একোজনী কন্যাক দহজন পুত্ৰৰ সমান বুলি গণ্য

কৰা হৈছিল—"দশপুত্ৰাঃ সম কন্যা।" প্ৰকৃতিৰ অপৰিসীম ভূ-সম্পত্তিক কৰায়ত্ত কৰিবৰ কাৰণে কৰ্ম্মঠ লোকৰ সংখ্যা বঢ়াব লগীয়া হৈছিল আৰু এই সংখ্যা-বৃদ্ধিত নাৰীয়ে আছিল একমাত্ৰ সঁফুলি। নাৰীৰ সংখ্যা কম হলে সেই কাৰ্য্য অসম্ভৱ। নাৰীৰ সংখ্যাল্পতাৰ হেতুকে বহুপতি বিবাহ এক-প্ৰকাৰ প্ৰয়োজন হৈ পৰিছিল। তিব্বতৰ ফালে পাৰ্ব্বত্য কেইদ কিছুমানৰ মাজত আজিকোপতি বহুপতি-বিবাহৰ প্ৰথা প্ৰচলিত আছে। তেনে ধৰণৰ বিবাহ তাত একান্নবৰ্ত্তী পৰিয়ালৰ ভ্ৰাতৃসকলৰ মাজত আগতেও হৈছিল—আজিকালিও হয়। দ্ৰৌপদীৰ পঞ্চপতি গ্ৰহণ তাহানীৰ উজ্জ্বল নিদৰ্শন। অকল ভাৰতেই নহয় ইংলণ্ড, স্কটলেণ্ড আৰু আয়াৰলেণ্ডৰো কোনো কোনো ফৈদৰ মাজত এই প্ৰথাৰ প্ৰচলন আছিল বুলি উল্লেখ পোৱা যায়।

কালৰ চকৰি ঘূৰাৰ লগে লগে পুৰুষ হৈ আহিল সমাজত সৰ্ব্বেসৰ্ব্বা। নাৰীৰ প্ৰভুত্ব হ্ৰাস পাবলৈ ধৰিলে। যি নাৰীয়ে একালত ৫।৬ জন পুৰুষকো ৰতি-দানৰ মাজেদি বৈবাহিক বান্ধোনত বান্ধি ৰাখিছিল তেওঁ হৈ পৰিল ক্ৰমাৎ পুৰুষৰ খেলাৰ পুতলা নতুবা চন্দুকৰ মূল্যৱান সম্পত্তি স্বৰূপা। পুৰুষৰ স্বাৰ্থপৰতা ইমানেই বাঢ়ি আহিল যে একো একো পুৰুষে বহুত পৰাকী পত্নী গ্ৰহণ কৰি লাহ-বিলাহত কাল কটাবলৈ ধৰিলে। ইয়াকেই কয়—বামুণৰো একাল, বৰুৱাৰো একাল। অৰ্থাৎ চিৰকাল কাৰো ভাগ্য একেদৰে নাযায়। ব্যক্তিৰ জীৱনত এই সত্য যিদৰে খাটে, সমাজৰ জীৱনতো সেই একেদৰে খাটে। কবিয়ে তাকেই কৈছে—

চিৰকাল মানুহৰ সমানে নাযায়,
ৰাজপুত্ৰ যায় বন,
দৰিদ্ৰৰো সিংহাসন :
চক্ৰৱৎ দুখ-সুখ ঘূৰিছে সদায় ;
কালৰ কুটিল গতি বুজে কোনে ভাই ?

বহুপত্নী বিবাহ, উপপত্নী-বিহাৰ, দাসী-প্ৰথাৰ প্ৰচলন আদিবোৰেই পুৰুষৰ আপোনপেটীয়া স্বভাৱৰ পূৰ্ণ পৰিচয় দিয়ে। বুদ্ধিমান পুৰুষে নিজৰ স্বাৰ্থপৰ কাৰ্য্যৰ যুক্তিযুক্ততা প্ৰমাণ কৰি দেখুৱাবলৈও হেলা নকৰে। ভগৱান কৃষ্ণ আৰু ঋষি-মুনিসকলৰ দৃষ্টান্ত দি সমাজৰ প্ৰতিপত্তিশীল আৰু আঢ্যৱন্ত লোক-সকলেও বহুপত্নী বিবাহক নিজ নিজ শক্তি আৰু সামৰ্থ্যৰ পৰিচায়ক হিচাপেই গ্ৰহণ কৰিবলৈ ধৰিলে।

বহুপত্নী-বিহাৰত পুৰুষৰ কামাসক্তিৰ বিপুলতা আৰু ভোগাকাঙ্ক্ষাৰ স্বাৰ্থপৰতা থাকৈয়ে ফুটি উঠিছিল যদিও, কৃষিপ্ৰধান ঠাইবোৰত কিন্তু তেনে প্ৰথা সম্পূৰ্ণকৈ প্ৰয়োজনৰ সৃষ্টি হিচাপেই প্ৰতীয়মান হৈছিল। কাৰণ শস্য পচোৱা, চপাই-কোঁচাই অনা আদি কাম তেতিয়া তিৰোতাই কৰিছিল। গতিকে সৰহ খেতি কৰিবৰ কাৰণে ঘৰত সৰহ নাৰীৰ প্ৰয়োজন হৈছিল। আজি-কালিও গাঁও-ভুঁইত খেতিয়ক লোকে তিৰোতাক তেনে কামতেই বেছিকৈ খটায়; আৰু কৃষিৰ প্ৰয়োজনে আজিও সেই প্ৰথাৰ প্ৰয়োজনীয়তা প্ৰমাণ কৰে। আজিও কেনিয়াৰ কিপচিগি (Kipsigis of Kenya)-সকলৰ মাজত বহুপত্নী-বিবাহ প্ৰথা কৃষকসকলৰ মাজত পূৰ্ণপয়োভৰে চলি আছে। তাত একো একো কৃষকৰ পত্নীসকল কৃষি-সংক্ৰান্ত কামত কৃষি ভেৰকৃষি -মাইল দূৰে দূৰেও থাকে।

পূৰণি কালত বহুপত্নী-বিবাহৰ আৰু এটি কাৰণ আছিল ৰণ-বিগ্ৰহ জনিত পুৰুষৰ সংখ্যাল্পতা আৰু নাৰীৰ সংখ্যাধিক্য। কুৰুক্ষেত্ৰ ৰণৰ অন্তত হাজাৰ হাজাৰ বিধবাই কিদৰে কান্দোনৰ ৰোল তুলিছিল তাৰ বিবৰণ পঢ়িলে চকুলো সামৰা টান। গীতাত সেইবাবেই অৰ্জ্জুনে কৈছিল—

স্বামীক মাৰিলে তাৰ যতেক যুৱতী।
বিধবা হৈবেক ভজিবেক উপপতি ৷৷
সন্ততি সন্তান তাৰ হৈবে অপন্তৰ।
জাতি নষ্ট ভৈলে হৈবে বৰ্ণত সঙ্কৰ ৷৷

বালি-বধৰ পিছত তেওঁৰ পত্নী তাৰাক সুগ্ৰীৱে পত্নীৰূপে গ্ৰহণ কৰা আৰু ৰাৱণ বধৰ পিছত মন্দোদৰীক বিভীষণে গ্ৰহণ কৰা কথা—এই প্ৰসঙ্গত উল্লেখৰ যোগ্য। একোখন যুদ্ধ বা মহাযুদ্ধৰ অন্তত অসংখ্য বিধবা নাৰীয়ে নিঃসহায় অৱস্থাত পৰি পত্যন্তৰ গ্ৰহণ কৰিবলৈ বাধ্য হৈছিল।

পূৰণি কালত ৰজা, মহাৰজা বা আঢ্যৱন্ত লোকসকলে বহুপত্নী বিবাহ কৰিছিল যদিও এগৰাকী পত্নীহে তেওঁলোকৰ ধৰ্মপত্নী আছিল। বাকীসকলক কামপত্নী বুলিহে জনা গৈছিল আৰু ধৰ্ম-পত্নীত বাহিৰে অন্যবোৰৰ ধৰ্ম-কৰ্মত পতিৰ লগত সম্পৰ্ক নাছিল। ৰজাৰ ক্ষেত্ৰত ধৰ্মপত্নীৰ জৰিয়তে জন্মা সন্তান-সকলেহে ৰাজ্যলাভ কৰিবলৈ সমৰ্থ হৈছিল। সেই হেতুকে ৰজাসকলে একাধিক পত্নী গ্ৰহণ কৰিলেও ধৰ্মপত্নীৰ ক্ষেত্ৰত নিৰ্দিষ্ট পৰিয়ালৰ পৰাহে

বিয়া কৰাইছিল। কেতিয়াবা ৰক্তকলুষিতাৰ ভয়ত তেওঁলোকে নিজৰ সম্বন্ধীয়া-সকলৰ ভিতৰতে বৈবাহিক সম্বন্ধ পাতিবলৈও বাধ্য হৈছিল। আধুনিক যুগত অৱশ্যে সম্বন্ধত বিয়া নকৰোৱা আৰু একাধিক পত্নী গ্ৰহণ নকৰাটোৱে সৰ্ব্ববাদী-সম্মত নীতি হিচাপে গৃহীত হৈ আহিছে যেন অনুমান হয়।

আকৌ, হিন্দুধৰ্ম্মমতে পতি-পত্নীৰ সম্বন্ধ ইহ-জনমৰেই বান্ধোন নহয়, ই পূৰ্ব্বজন্মৰ সম্বন্ধ। পদ্মপুৰাণৰ মতে "পূৰ্ব্ব জন্মনি যা কন্যা তাং কন্যাং লভতে পতিঃ।" অৰ্থাৎ পূৰ্ব্বজন্মত যি স্ত্ৰী আছিল, পৰজন্মতো সেই স্ত্ৰীকেই পতিয়ে পায়। তথাপি কিন্তু এইটোও মানি লোৱা হৈছে যে বিয়াৰ সময়ত পাত্ৰীয়ে ইচ্ছা কৰে তেওঁৰ স্বামী ৰূপৱান হওক; পাত্ৰীৰ মাকে ইচ্ছা কৰে জোঁৱাই-ল'ৰা ধনীৰ ঘৰৰ হওক (তেতিয়া হলে মোৰ জী সুখত থাকিব); পিতাকে ইচ্ছা কৰে যেন তেওঁৰ জোঁৱায়েক শিক্ষিত হয় (যাতে দহজনৰ আগত তেওঁ গৌৰৱ কৰিব পাৰে); জ্ঞাতিবৰ্গৰ অভিলাষ—দৰাটো উচ্চ বংশৰ হওক; অন্যান্য লোকসকলে ভাবে—আমাৰ আৰু কি, খোৱা-বোৱাটো ঠিক হলেই হ'ল।

কন্যা কাময়তে ৰূপং মাতা বিত্তং পিতা শ্ৰুতম্।
জ্ঞাতয়ঃ কুলমিচ্ছন্তি মিষ্টান্নমিতৰে জনাঃ।

শ্বিলং,

১৯৪৭

দাম্পত্য সম্ভোগ

বিয়াৰ বন্দবস্ত ঠিক-ঠাক হৈ যোৱাৰ লগে লগে বৰ-কন্যাৰ উভয়ৰে উভয়ৰ প্ৰতি এটি অনিৰ্ব্বচনীয় আকৰ্ষণ জন্মে। নৈষ্ঠিক হিন্দু এজনৰ মতে সেই আকৰ্ষণৰ মূল হেতু দুয়োৰো আত্মাৰ জন্মান্তৰ মিলনৰ ক্ষীণ স্মৃতি। মনোবৈজ্ঞানিক পণ্ডিতে কয়—ই জৈৱিক আকৰ্ষণ, বা যৌন মিলনৰ বাসনা। ৰস আৰু সৌন্দৰ্য্যৰ উপাসক কবিয়ে কয়—ই সুন্দৰৰ প্ৰতি ওপজা মানৱ মনৰেই এটি স্বাভাবিক আকৰ্ষণ—ইত্যাদি, ইত্যাদি। এই আকৰ্ষণৰ কাৰণ লাগিলে যিয়েই নহওক, ই যে আছে, তাক হলে কেৱে অস্বীকাৰ নকৰে। এই আকৰ্ষণেই বৈবাহিক সম্বন্ধৰ গুৰি শিপা, আৰু ইয়েই স্ত্ৰী-পুৰুষৰ মিলন মধুৰ কৰি তোলে। বৰফ গলি হোৱা নিজৰাৰ দৰে ই দম্পতী-যুগলৰ অন্তৰত চিৰকাল বৰ্ত্তমান থাকে আৰু ইয়েই কষ্টময় ব্যক্তৰ জীৱনৰ শুকান মৰুভূমিকো ফুলে-ফলে জাতিষ্কাৰ নন্দন-কাননত পৰিণত কৰে। ইয়েই যৌন মিলনৰ মাজেদি বুঢ়া লুইতত নতুন ধল আনি দাম্পত্য জীৱনত অফুৰন্ত উৎসাহ আৰু আনন্দৰ যোগান ধৰি থাকে।

মানৱ জীৱনৰ প্ৰাথমিক লক্ষ্য আনন্দ লাভ। কেৱে বিচাৰে ত্যাগৰ মাজেদি মনৰ বিমল আনন্দ, কেৱে বিচাৰে ঐহিক সুখৰ প্ৰাচুৰ্য্যৰ মাজেদি ভোগৰ তৃপ্তিময় আনন্দ, অন্য কেৱে আকৌ বিচাৰে ৰাজ-শক্তিৰ সহায়ত পোৱা প্ৰভুত্বৰ উতলা আনন্দ। তেওঁলোকৰ মানত কামনাৰ তৃপ্তিয়েই স্বৰ্গ, হতাশাই নৰক। ওমাৰেও এদিন কৈছিল—

> পৃথিৱী মাজত পূৰিলে বাসনা
>
> ধৰিবা তাকেই সৰগ বুলি;
>
> বিফল বাসনা, কঠোৰ নিৰাশে
>
> ধৰে নৰকৰ ছবিটি তুলি।—দুৰৱা

এই সুখ আৰু আনন্দকে বিচাৰি মানুহে জীৱনত সদায় হাবাথুৰি খাই ঘূৰি ফুৰে, তাতেই—"কাৰোবা ভাগ্যত মিলিছে সপোন, কাৰোবা

ভ'গ্যত একেৰে নহয়।' যৌন সম্ভোগ এনেবোৰ সুখ বা আনন্দৰে এবিধ।

আনন্দ, তৃপ্তি আৰু জীৱনৰ স্বচ্ছন্দতা বৰ্দ্ধন আধুনিক সভ্যতাৰ অন্যতম দান। ইয়াৰ উদ্দেশ্যেই সৃষ্টি হয় কলা, কৃষ্টি, সাহিত্য আদি নানা প্ৰকাৰৰ অভিনৱ বস্তু। ইয়াৰ কাৰণেই একেটা বস্তুকে নানা ধৰণে নানাৰূপে সজাই নানা প্ৰকাৰৰ ৰূপ দি তাত অভিনৱত্ব আৰোপ কৰিবলৈ আবহমান কালৰ পৰা চেষ্টা চলাই আহিছে আৰু চলাই থাকিব। সেয়েহে একোটা বিষয়ৰে নানা কাব্য, উপন্যাস, গল্প আদি দেখিবলৈ পোৱা যায়। সেয়েহে একে শকুন্তলা আখ্যানকে মহাভাৰতত ব্যাসদেৱে আৰু নাটকত কালিদাসে—কিঞ্চিৎভাৱে হলেও পৃথক ধৰণে সজাইছে।

গাঁৱৰ খাচিয়াসকলে ৰাঁহৰ চুঙাত ভৰা ভাত খোৱাই দি তাকে ভোক লাগিলে খাই তৃপ্তি লভে, আনন্দ পায়। মাটি খন্দা শ্ৰমিয়াই সৰহকৈ মাটিৰ দালি এসোপা সৰহীয়া ভাতৰ লগত খাবলৈ পালেই সন্তুষ্ট হয়। গাঁৱৰ খেতিয়ক এজনে গৰম-কালি পথাৰত কাম কৰি থাকি দুপৰীয়া ঘৰলৈ আহি পঁইতা ভাত কেইটামান পোৱা হাঁহ-কণীৰে পৰম তৃপ্তিৰে খাই আনন্দ পায়। কোনোবে আকৌ দুপৰীয়াৰ সেই একে ভোকৰ ভাত মুঠিকেই অনেক সুস্বাদু ব্যঞ্জনেৰে সুৰুচিপূৰ্ণ কৰি খাইহে সুখ পায়। সাধাৰণ কথা এই যে ভোকত ভাত খাব লাগে। সেই ভাত শাক-পাচলিতও খোৱা যায়, নতুবা বিবিধ ব্যঞ্জনেৰেও খোৱা যায়। বিবিধ ব্যঞ্জন আৰু মূল্যৱান পাচলি সকলোৱে ক্ৰয়ৰ কাৰণে সক্ষম নহব পাৰে, কিন্তু সাধাৰণ শাক-পাচলিকেই নানান প্ৰকাৰে ৰান্ধি ৰুচিকৰ কৰি খোৱাটো হলে সকলোৱে কাৰণেই সম্ভৱ আৰু সুচল। দাম্পত্য জীৱনৰ উপভোগৰ ক্ষেত্ৰতো সেই একে কথাই খাটে। এই উপভোগ সদায় নিত্য নৱত্বৰ প্ৰয়াসী।

পনিয়ল মিঠা ফল। কিন্তু খাব নাজানিলে পকা পনিয়লো কিঞ্চিৎ কেহা লাগে। হাতেৰে মোহাৰি পিটিকি খোৱাটোৱে পনিয়ল খোৱাৰ প্ৰণালী। তাকে নাজানিলে পনিয়লৰ মিঠাতা পোৱা নাযায়। সতী বেহুলাই তেনে ধৰণৰ উপমাৰ দ্বাৰাই কামোন্মত্ত পতি লখিন্দাৰক ফুল-শয্যাৰ নিশা শান্ত কৰিছিল—

তপত ভাত খালে প্ৰভু মুখৰ যায় চাল।
জুৰাই-শতাই খালে প্ৰভু অধিক লাগে ভাল॥

কেঁচা ডালিম খালে প্ৰভু মুখত লাগে কেহা।
পকা ডালিম খালে প্ৰভু জুৰ পৰে দেহা॥ ইত্যাদি

অৰ্থাৎ প্ৰসাধনে শৰীৰৰ সৌন্দৰ্য্য বৃদ্ধি কৰাৰ দৰে ৰতিৰ পূৰ্ব্বে কৰা প্ৰাসঙ্গিক ক্ৰিয়ায়ো সুৰতিৰ সম্পূৰ্ণতাৰ যোগান ধৰে। যিদৰে অতিশয় কঠিন বো এডোখৰকো তপতাই ৰঙা কৰি লৈ যথা ইচ্ছা ভাজ দিয়া যায়, নাৰীকো সেইদৰে বিধি-ব্যৱহাৰে জাগৃত কৰি ললেহে সঙ্গমৰ পূৰ্ণ আনন্দ আৰু চৰম তৃপ্তি পোৱা যায়।

কাৰো মতে ভাৰ্য্যা, পুত্ৰ লাভৰ কাৰণেহে; সুখ-সম্ভোগৰ কাৰণে নহয়। তেওঁলোকৰ মতে আমোদ-প্ৰমোদ নিৰৰ্থক, ৰতি-বিলাস পাপজনক। পুত্ৰ লাভৰ কাৰণে যি পৰিমিত সম্ভোগ নহলে নহয়, তাতেই দম্পতী তুষ্ট থাকিব লাগে। অন্য কথাত তেওঁলোকৰ মতে ৰতি-সুখ বিবাহৰ পৰোক্ষ ফলহে, উদ্দেশ্য নহয়। তেওঁলোকে উদাহৰণ দিয়ে যে প্ৰকৃতিৰ ৰাজ্যত গছ-লতা, পশু-পক্ষী প্ৰভৃতি সকলো প্ৰাণীৰে মিলনৰ উদ্দেশ্য ফলোৎপাদন বা অপত্য লাভ। ফলোৎপাদনৰ কাল উপস্থিত হলেই গছত ফুল হয় আৰু ফুলত ৰজঃ পদাৰ্থৰ আবিৰ্ভাৱ হয়; অন্য সময়ত নহয়। ইতৰ জন্তুৰ ক্ষেত্ৰতো প্ৰায় সেয়ে নীতি। পতঙ্গৰ মাজত আকৌ অধিকাংশই কাম প্ৰবৃত্তি চৰিতাৰ্থ কৰিবলৈ গৈ মৃত্যুৰ মুখত নিপতিত হয়। তথাপি সুবুজে কাৰণে সিঁহতে কামোন্মদনা দমন কৰিবলৈ চেষ্টা নকৰে (**For the majority of the insects to love and to die are synonymous and yet they make no effort to resist the amorous frenzy which urges them on.—*Evolution of Marriage.***

কিন্তু মানুহৰ ক্ষেত্ৰত জানো এনে যুক্তি মানুহৰ স্বাভাৱিক কাৰ্য্যৰ লগত খাপ খাই পৰে? যদি পৰে তেন্তে সৃষ্টিৰ শ্ৰেষ্ঠ জীৱ মানুহ আৰু অন্যান্য জীৱ-জন্তুৰ মাজত পাৰ্থক্য থাকিল ক'ত? শাস্ত্ৰৰ উক্তি বিমানেই আওৰাই জোৰা নালাগক লাগিলে অথাপি স্পষ্ট কথা এই যে পুত্ৰ-কামনাৰ তাড়নাত কোনো কেতিয়াও সঙ্গমাসক্ত নহয়; বৰঞ্চ বহুক্ষেত্ৰত পুত্ৰলাভ সঙ্গম-সুখৰ ওপৰিঞ্চি লাভহে। প্ৰকৃতিৰ অন্যান্য জীৱ-জন্তুৰ লগত মানুহক তুলনা কৰি—কবিৰ ভাষাত কব পাৰি—

সিবোৰে গাইছে সহজে
বইছে সহজে,

সহজত নাই ভুল,
মানুহে নাগায় সহজে
নকয় সহজে
নানাচে সহজে
সহজ স্নেহৰ
বিকাশ মনুষ্য ফুল ;—
তাতেহে তাৰ শ্ৰেষ্ঠ গৰ্ব্ব—
তাতেহে ঈমান মোল,
তাতেহে ঘটে পদে পদে তাৰ
হেজাৰ হেজাৰ ভুল।—বৰকাকতী।

মানুহে জ্ঞান, বুদ্ধি আৰু বিবেচনা খটাই প্ৰয়োজনৰ লগত উপভোগৰ সুন্দৰ সমন্বয় ঘটাব পাৰে। সেই কাৰণেই প্ৰকৃতিয়ে মানুহৰ কাৰণে সম্ভোগৰ কাল অথবা নিয়ম-প্ৰণালী আদি নিৰ্দ্ধাৰিত কৰি দিয়া নাই।

অন্যান্য কলাবিদ্যাৰ দৰে ৰতি-বিলাসো এবিধ কলা, আৰু এই কলাৰ উৎকৰ্ষ সাধনো অন্যান্য কলাৰ দৰে বিনা যত্নত বা বিনা সাধনাত নহয়। সেয়েহে শৃঙ্গাৰৰ ক্ষেত্ৰতো ষোড়শ শৃঙ্গাৰ আৰু চৌষষ্টি কলাৰ উল্লেখ পোৱা যায়, আৰু সেয়েহে দেশে দেশে নানা প্ৰকাৰ পুস্তক প্ৰণয়ন আৰু ঔষধাদি আবিষ্কাৰৰ দ্বাৰা কামকলাৰ উৎকৰ্ষ সাধন অতীতত হৈছিল আৰু আজিও হৈ লাগিছে। বাৎস্যায়নৰ 'কামসূত্ৰ' এই শ্ৰেণীৰ প্ৰাচীন গ্ৰন্থ। এই শাস্ত্ৰই অন্য নহলেও অতীতৰ আৰ্য্যৰ যুগতো হিন্দুসকলে কিদৰে জ্ঞান-বিজ্ঞানৰ চৰ্চ্চাৰ দৰে সম্ভোগ-বিলাসৰ বৈজ্ঞানিক প্ৰণালীও উদ্ভাৱন কৰিছিল—তাৰ পৰিচয় দিয়ে। কামকলা চৰ্চ্চাত মুছলমানসকলো কম নাছিল। বৰঞ্চ মধ্যযুগত সঙ্গমৰ প্ৰণালী আৰু উৎকৰ্ষ সাধনৰ চৰ্চ্চাত তেওঁলোকে হাতে-কলমে হিন্দু-সকলকো চেৰ পেলাইছিল বুলিলেও ভুল নহব। তেওঁলোকৰ হেকিমি ঔষধ আৰু হেকিমি প্ৰণালীৰ কাম-সম্ভোগ এসময়ত দেশ-বিদেশত জনাজাত হৈ পৰিছিল। সেই সময়ৰ সম্ৰাটসকলৰ ভোগ-বিলাসৰ চিত্তাকৰ্ষক কাহিনী আজিও অনেক লোকৰ মুখে মুখে বৈ আছে।

আমোল-জোলাই-লোৱা তামোল-পাণৰ গুণ যে সঙ্গমৰ ক্ষেত্ৰতো কম নহয় তাক আজিও বিহুগীত, বনগীত আদিৰ পৰা জনা যায়। তামোলত

আঙুলি দি কন্যাক মোহিনী মৰা আৰু পলুৱাই নিয়াৰ বতৰ। গাঁও-ভূঁইত ন-কথা নহয়। বিহুগীততো আছে—

ফিনো তামোলখনি দিলি ঐ মইন !
ভুখনি হাতেৰে ললোঁ।
সেই তামোলখনি খাবৰ-এ-পৰা ঐ
তোমাৰ লগত বলিয়া হলোঁ।

• • • •

নেখাইও নোৱাৰি খালেও সম্ভুৰায়
বান্ধৈৰ থুৰি তামোলখনি।
থুৰীয়া তামোলত কি যাদু কৰিলি
মতা হাঁহে পাৰিছে কণী। ইত্যাদি।

কথিত আছে, মোগল বাদছাহসকলৰ সময়ত নিশা আহাৰৰ অন্তত ৰতি-সম্ভোগৰ পূৰ্ব্বে সুগন্ধ তামোল-পাণ খোৱাৰ প্ৰথা আছিল। 'কৰ্পূৰ-তাম্বুল' হিন্দুসকলৰ মতেও কামোদ্দীপনা বৃদ্ধিকাৰক। সেয়েহে বিয়াৰ পিছত দৰা-কন্যাৰ ফুল-শয্যাৰ নিশা আহাৰৰ অন্তত কন্যাই দৰাক 'কৰ্পূৰ-তাম্বুল' দিয়াৰ প্ৰথা আজিকোপতি চলি আছে।

পিছে, এসময়ত এজন মোগল বাদছাহে এনিশা তেওঁলৈ সজাই দিয়া আমোদ-মোদীয়া তামোল এখনৰ আধা খাই বাকী আধা ওচৰতে পেলাই দি গৈ পত্নীসকলৰ লগত উপগত হৈছিল। তামোলত আফুদি কৰা আছিল। ৰাতি পুৱালত ঘৰ সাৰিবলৈ গৈ এগৰাকী পৰিচাৰিকাই সেই তামোলখনৰ আধখিনি মজিয়াত পালে। তামোলত মিহলি থকা আফুদিৰ সুবাসত ওচৰৰ ঠাইডোখৰ তেনেই আমোদিত হৈ আছিল। পৰিচাৰিকাই তামোল-ডোখৰ খোৱাৰ লোভ সামৰিব নোৱাৰিলে। তাই সেই তামোল খালে। অলপ পাছতেই তাইৰ গা বন্তিৎ বন্তিৎ লাগি আহিল। ক্ৰমাৎ তাই উন্মত্তাৰ দৰে হ'ল। উত্তেজনাত চটফটাই, সৰি জপিয়াই ফুৰিবলৈ ধৰিলে। অৱস্থা বিষম দেখি সম্ৰাটৰ হেকিমক খবৰ দি অনা হ'ল। অলপ গম-গতি লৈ চতুৰ হেকিমে সকলো কথা বুজি পালে। তেওঁ ততালিকে চিকিৎসাও হাতত ললে। তেওঁ জানে—হুলোকেহে হুল কঢ়া যায়। গতিকে পৰিচাৰিকাৰ কাম-ব্যাধিৰো উপশমৰ ব্যৱস্থা তেওঁ ৰুকা-ঢিছিতভাৱে কৰিলে

—সংগোপনে, আছুতীয়াকৈ ৰখা এটি প্ৰকোষ্ঠক, ৰাজভৱনৰ অন্য যোগ্য লোকৰ সহায়ত।

হেকিমি ঔষধৰ গুণ সেই সময়ত ইমানেই প্ৰবল আছিল যে বিলাসী ধনীসকলৰ নিজৰ নিজৰ কাৰণে সকলোৱে স্বকীয় হেকিম আছিল। বাজীকৰণ বশীকৰণ, হেকিমি আদি ঔষধ আৰু মন্ত্ৰ তন্ত্ৰ লৰুৱা লোক তেতিয়া আছিল বুলিলেও হয়। আতৰ, গোলাপজল আদিৰ দ্বাৰা সুবাসিত কৰি লোৱা পাৰিপাৰ্শ্বিকতা, উত্তেজক খাদ্য আৰু হেকিমি ঔষধৰ গুণতে মোগল সম্ৰাট-সকলে সদায় একাধিক পত্নীৰ লগত পূৰ্ণ সঙ্গমৰ ক্ষমতা লভিছিল। মুছলমানী (ছিন্নি) কৰা কাৰ্য্যয়ো স্বাস্থ্যৰ হিতকাৰী ৰীতিৰূপে থাকি সঙ্গমৰ শক্তিকেই বঢ়ায় বুলি আজিৰ চিকিৎসা-বিজ্ঞানে অভিমত প্ৰকাশ কৰিছে।

হিন্দুসকলেও মোদক, চ্যৱনপ্ৰাশ আদি অনেক ৰতিবৰ্দ্ধক ঔষধৰ আবিষ্কাৰ আৰু ব্যৱস্থা কৰিছিল, কিন্তু হলেও, তেওঁলোকে ৰতিসুখ বৃদ্ধি আৰু ৰতি-শক্তিৰ কাৰণেই ঘাইকৈ নিৰ্ভৰ কৰিছিল—ব্ৰহ্মচৰ্য্য আৰু যোগবলৰ ওপৰত। ভূগৰ্ভত থকা নিজৰাৰ পানী নাদ বা পুখুৰী খান্দি বন্ধ কৰি ৰাখি প্ৰয়োজনমতে যথাইচ্ছা ব্যৱহাৰ কৰাৰদৰে ব্ৰহ্মচৰ্য্য আৰু যোগাভ্যাসৰ সহায়ত সংগ্ৰহ আৰু সঞ্চয় কৰা জীৱনী-শক্তিকো হিন্দুসকলে গাৰ্হস্থ্য জীৱনত প্ৰৱেশ কৰি বিয়াৰ পাছত সম্ভোগৰ ক্ষেত্ৰত যথাইচ্ছা ব্যৱহাৰ কৰিছিল। তেনেকৈয়ে লাভ কৰা অলৌকিক শক্তিৰ দ্বাৰা যোগীৰাজ শ্ৰীকৃষ্ণই যোল হাজাৰ ৰমণীকো মনোমত ৰতিসুখ দান কৰিব পাৰিছিল বুলি শাস্ত্ৰই ইঙ্গিত দিয়ে। তেনেকৈয়ে কামৰূপাধিপতি নৰকাসুৰে অসংখ্য ৰমণীক পত্নীৰূপে গ্ৰহণ কৰি ৰমণৰ পূৰ্ণ তৃপ্তি প্ৰদান কৰিব পাৰিছিল। এইদৰে যুগে যুগে ৰজা, মহাৰজা, সামন্ত ৰজা আৰু আঢ্যৱন্ত লোকসকলে অন্যান্য জ্ঞান-বিজ্ঞানৰ বিকাশ আৰু উৎকৰ্ষ সাধনৰ কাৰণে চেষ্টা কৰাৰ দৰে কামকলাৰো চৰ্চ্চা ব্যাপকৈয়ে কৰিছিল।

মহাকবি কালিদাস অমৰ কাব্য 'কুমাৰ-সম্ভৱ'ত নৱপৰিণীতা পত্নীৰ লগত হোৱা সম্ভোগৰ এটি বিচিত্ৰ বৰ্ণনা পোৱা যায়। সেই যুগৰ কামকলা আৰু পত্নী-সম্ভোগৰ এটি ছবি এই বৰ্ণনাই ফুটাই তুলিছে।

গিৰিৰাজ-কন্যা গৌৰীয়ে ধ্যান কৰি শিৱক পতি পালে। বিয়াৰ অন্তত শিৱ দেৱতাসকলক বিদায় দি বাসৰ গৃহলৈ গ'ল। বিয়াৰ পাছত বাসৰ ঘৰ নৱদম্পতীৰ কামনাৰ সামগ্ৰী। ভণ্ডুৱা শঙ্কৰেও তেওঁৰ বাসৰ ঘৰটো

গছৰ পাত, ফুলৰ মালা আদিৰেই জকমকীয়া কৰি সজাইছিল। শয়নশয্যা ৰচনা কৰা হৈছিল ভূমিৰ ওপৰত। সেই সময়ত উমাৰ অৱস্থা মন কৰিব লগীয়া!

"লজ্জা ললনানাং ভূষা" অৰ্থাৎ লজ্জাই ৰমণীৰ ভূষণ। পাৰ্ব্বতীয়েও নৱবধূ-সমুচিত লজ্জাৰে বিভূষিতা হৈ মৌনতা অৱলম্বন কৰিছিল আৰু যাওঁনেনাৰীওকে বাসৰ গৃহত প্ৰৱেশ কৰিছিল। শিৱ পাৰ্ব্বতী বা হৰ-গৌৰীৰ মিলন হিন্দুসকলৰ আদৰ্শ দাম্পত্য মিলন। সেয়েহে বিয়াৰ আশীৰ্ব্বাদত সদায় দৰা-কন্যাক "হৰ-গৌৰী বসতি হওক" বুলি আশীৰ্ব্বাদ দিয়া হয়। তেন্তে হৰ-গৌৰীৰনো কেনেকৈ গোনতে ঘৰখন আৰম্ভ হৈছিল তাক জানিবলৈ হেঁপাহ ওপজাটো সকলোৰে পক্ষে স্বাভাৱিক; অন্ততঃ নৱ দম্পতীৰ পক্ষে স্বাভাৱিকেই নহয়, উচিতো। কবি কালিদাসে 'কুমাৰ-সম্ভৱ'ৰ ৮ম সৰ্গত হৰ-গৌৰী মিলনৰ এটি বিতোপন বৰ্ণনা চিত্ৰ দিছে। তাৰেই প্ৰথম কুৰিটা শ্লোকৰ ভাঙনিৰে প্ৰবন্ধ সামৰা যাওক—

১। হৰ-পাৰ্ব্বতীৰ বিবাহ হৈ যোৱাৰ পাছত পাৰ্ব্বতীয়ে হৰৰ প্ৰতি ভয়-সম্বলিত অনুৰাগ পোষণ কৰিছিল, আৰু তাতেই তেওঁৰ দেহে কামনাৰঞ্জিত হৈ এক অপৰূপ মনোহৰ ৰূপ ধাৰণ কৰিছিল।

২। উমাই প্ৰথমতে মহাদেৱৰ কোনো কথাৰ উত্তৰ নিদিছিল। মহাদেৱে কাপোৰত ধৰিলে তেওঁ এৰাই যোৱাৰ ভাব দেখুৱাইছিল। একেলগে শোওঁতেও মুখামুখিকৈ শুইছিল, পিছমুখ হৈহে শুইছিল। এই সকলোবোৰ কথা সত্বেও কিন্তু পাৰ্ব্বতী প্ৰিয়তম স্বামীৰ প্ৰীতিৰেই কাৰণ হৈ পৰিছিল।

৩। কৌতুহল বশতঃ স্বামীয়ে মিছাই টোপনি যোৱা ভাও ধৰিলে পাৰ্ব্বতীয়ে (চুৰকৈ) তেওঁৰ মুখলৈ চায়; আকৌ প্ৰিয়ই মিচিকিয়াই হাঁহি চকু মেলি চালে—বিজুলীয়ে ছাট মাৰি ধৰা যেন পাই—তেওঁ চকুবোৰ মুদি দিয়ে।

৪। শঙ্কৰে তেওঁৰ নাভিদেশত হাত দিলে তেওঁ সেই হাত সসঙ্কোচে স্তব্ধ কৰি থয়; তথাপি তেওঁৰ পাটৰ পৰিধেয় বস্ত্ৰৰ খোচনাটি কিন্তু আপুনি খুলকি যায়।

৫। পাৰ্ব্বতীৰ সখীয়েকসকলে আগতে তেওঁক শিকাই থৈছিল—"হে সখি, তুমি কোনো প্ৰকাৰে ভয় নকৰি নিৰ্জ্জনত অকলে শঙ্কৰৰ সন্তোষ সাধন কৰিবা।" তেওঁ শুনি থৈছিল সখীয়েকহঁতৰ কথা; কিন্তু যেতিয়া গৈ প্ৰিয়তমৰ ওচৰ

পালে তেতিয়া তেওঁ সেই সকলোবোৰ উপদেশ পাহৰি গ'ল !

৬। পাৰ্ব্বতীক কথা কোৱাবলৈ প্ৰশ্নৰ-বিষয়-নাথাকিলেও-প্ৰশ্ন-কৰি-থকা স্বামীৰ মনোভাব তেওঁ চকুৰে চাই গ্ৰহণ কৰিছিল আৰু মুৰ দুপিয়াই উত্তৰ দিছিল।

৭। নিৰ্জ্জনত স্বামীয়ে তেওঁৰ পাটৰ পৰিধান (অতৰ্কিতে) সোলোকাই লুকাই থলে তেওঁ (উপায়ান্তৰ হৈ) নিজৰ দুই হাতেৰে হৰৰ চকু দুটা বন্ধ কৰি ধৰিছিল, কিন্তু (হলে কি হব?) হৰে (কপালত থকা) তৃতীয় চকুটোৰেদি যে তেতিয়াও চাই আছিল। তাকে দেখি (হৰৰ তৃতীয় নয়নৰ দৃষ্টি নিৰোধ কৰিবলৈ উপায় নাপাই) নিষ্ফলপ্ৰয়াস হৈ তেওঁ কাতৰ হৈ পৰিছিল।

৮। (ওঁঠত চুমা খাব খুজিলে পাৰ্ব্বতীয়ে মুখ লৰচৰ কৰা বাবে) পাৰ্ব্বতীৰ কামসম্ভোগত অধৰ চুম্বন নাছিল; তাত আটক কৰি ধৰিব-লগীয়া হোৱা কাৰণে (প্ৰিয়হ) গাঢ়ভাবে আলিঙ্গন কৰিব পৰা নাছিল, তাৰে ফলত প্ৰিয়তমৰ মনত (কিঞ্চিৎ ক্লেশ উপজিলেও তাৰ প্ৰতিকাৰ নাছিল অৰু নবোঢাৰ এই প্ৰকাৰ অত্যন্ত দুৰ্লভ সম্ভোগে হৰক প্ৰকাৰ স্বৰে প্ৰীতিহে দান কৰিছিল।

৯। অধৰ দংশন নকৰাকৈ মুখত ধৰি খোৱা চুমা, শৰীৰত আঘাত নকৰাকৈ দিয়া নখ-পীডন হৰৰ এনে ধৰণৰ আলসুৱা সদয় ৰতি-ক্ৰীডাহে পাৰ্ব্বতীয়ে সহ্য কৰিব পাৰিছিল—অন্যপ্ৰকাৰৰ নোৱাৰিছিল।

১০। ৰাতি পুৱালত ৰাতিৰ ঘটন জানিবৰ কাৰণে উদ্‌গ্ৰীৱ হোৱা সখীসকলৰ মনৰ কৌতুহল পাৰ্ব্বতীয়ে লাজতে দূৰ কৰিব নোৱাৰিছিল; কিন্তু কবলৈ অন্তৰখনেও উগুল-থুগুল লগাইছিল।

১১। পাৰ্ব্বতীয়ে যেতিয়া (গোপনে গৈ) দাপোণখন লৈ (ৰাতি) সুৰতি সম্ভোগত হোৱা চিনবোৰ চায়, তেতিয়া প্ৰিয়তম হৰেও (হাতত-সাৰে-ভৰিত-সাৰে, গৈ তেওঁৰ পাছফালে (লাহেকৈ) বহি লয়! তাতেই দাপোণত নিজৰ প্ৰতিবিম্বৰ লগতে পাছফালে প্ৰিয়তমৰো প্ৰতিবিম্ব দেখি পাৰ্ব্বতীয়ে লাজতে কেনে ভাবেই যে নেদেখুৱাছিল!

১২। (বিয়াৰ পাছত) পাৰ্ব্বতীৰ জননী মেনকাই কন্যাৰ যৌৱন স্বামীয়ে উপভোগ কৰা জানি অতিশয় সুখী হৈছিল; কাৰণ নিজৰ জীয়েকক স্বামীৰ সুৰাগী হোৱা দেখিলে মাতৃৰ মনত আৰু কোনো কষ্ট নাথাকে।

১৩। মহেশ্বৰে পাৰ্ব্বতীৰ লগত দিনদিয়েক এইদৰে অতিবাহিত কৰাৰ পিছত ৰতি-ৰসৰ মোল পাই পাৰ্ব্বতীয়ে ক্ৰমে ৰতি-কষ্ট অনুভৱ নকৰা হৈ আহিল।

১৪। তেতিয়া (ক্ৰমে এতিয়া) প্ৰিয়ই বুকুত সাবট মাৰি ধৰিলে তেওঁ প্ৰিয়ক আলিঙ্গন কৰিব ধৰিলে; চুমা খাব খুজিলে মুখ ফিৰাই নিনিয়া হ'ল; প্ৰিয়তমে হাতেৰে মেখেলাত ধৰিব খুজিলে তেওঁ নামত মাত্ৰ (শিথিলভাৱে) বাধা দিব ধৰিলে।

১৫। কিছু দিনৰ ভিতৰতে উভয়ৰে প্ৰতি উভয়ৰ প্ৰেম বাঢ়ি আহিল। এই কথা ভাব-ভঙ্গীৰ দ্বাৰা জনা গ'ল। তেতিয়া দুয়ো দুয়োকো প্ৰশংসা কৰে; ঠাট্টা-মস্কৰা কৰে, আৰু অতি অলপ সময়ৰ বিৰহতেই অতিশয় কাতৰ হৈ পৰে।

১৬। প্ৰিয়াই যিদৰে নিজৰ সাধ্যানুসাৰে স্বামীৰ মনস্তুষ্টি সাধন কৰিছিল, স্বামীয়েও সেইদৰে প্ৰিয়াৰ মনোৰঞ্জন সাধন কৰিছিল। জাহ্নবীয়ে যিদৰে সাগৰ-সঙ্গম ত্যাগ নকৰে—সাগৰেও যিদৰে জাহ্নবীক এৰি নিদিয়ে ঠিক সেইদৰেই এই দম্পতীৰো প্ৰেম অবিচ্ছেদ্য হৈ পৰিছিল।

১৭। নিৰ্জ্জনত গৈ শিৱই পাৰ্ব্বতীক কাম-ক্ৰীড়াৰ বিবিধ উপদেশ দি নিজৰ শিষ্যা কৰিছিল। পাৰ্ব্বতীও যুৱতী-সুলভ ৰতি-নৈপুণ্য শিক্ষা কৰি তাকেই গুৰুদক্ষিণা স্বৰূপে (কাৰ্য্য-ক্ষেত্ৰত) শিৱক দিছিল।

১৮। স্বামী শিৱই যেতিয়া অধৰ দংশনৰ দ্বাৰা সুৰতি সম্পাদন কৰিছিল, তেতিয়া পাৰ্ব্বতীয়ে বেদনা অনুভৱ কৰি নিজৰ কোমল হাতেৰে প্ৰিয়ৰ গা পিহি দিছিল। প্ৰিয়ই আকৌ এৰি দিলে—তেওঁ শঙ্কৰৰ মূৰত থকা সু-শীতল চন্দ্ৰকলা মুখৰ ওপৰত খন্তেক লৈ অধৰৰ বেদনা দূৰ কৰিছিল।

১৯। শঙ্কৰৰ কপালত থকা চকুটো চুমা খাওঁতে পাৰ্ব্বতীৰ কপালৰ ওচৰত থকা কেঁকোৰা চুলিৰ সুগন্ধি দ্ৰব্যৰ দ্বাৰা মলিয়ন হলে তেওঁ

পাৰ্ব্বতীৰ পদ্মগন্ধী সুমিষ্ট নিশ্বাস-প্ৰশ্বাসৰ দ্বাৰা তাক পৰিশোধিত কৰি লৈছিল।

২০। এইদৰে মহেশ্বৰে ইন্দ্ৰিয়-সুখত নিৰত হৈ আত্মলোক সন্তুষ্ট কৰি শৈলৰাজৰ ঘৰত পূৰা এমাহ হৈমৱতী উমাৰ লগত বিহাৰ কৰিছিল।

গুৱাহাটী,
১৯৫৭

উদ্‌ভ্ৰান্ত প্ৰেম আৰু কুমাৰী জননী

উদ্‌ভ্ৰান্ত প্ৰেমে দেশ, কাল আৰু পাত্ৰৰ ব্যৱধান নামানে। ই মানুহক উচিত-অনুচিত, পাত্ৰ-অপাত্ৰ, যোগ্য-অযোগ্য আদিৰ ভেদাভেদ জ্ঞান পাহৰাই দিয়ে। এই প্ৰেমৰ উন্মাদনাত পৰি পুৰুষ-নাৰী উভয়ে কেতিয়াবা নকৰিবলগীয়া কামো কৰি পেলায়। তেতিয়া তেওঁলোকৰ গুৰু হৈ পৰে তাহানী মোহিনীৰ মোহত পৰা দেৱাদিদেৱ মহাদেৱ—

নাহি শ্ৰুতি বুদ্ধি জ্ঞান, কামানলে দহে প্ৰাণ

লাজ-কাজ এৰিল শঙ্কৰ ॥'– হৰমোহন (কীৰ্ত্তন)

উদ্‌ভ্ৰান্ত প্ৰেমৰ অসংখ্য দৃষ্টান্ত সকলো ধৰ্ম্মগ্ৰন্থতে আছে। ইউচুফ-জোলেখাৰ কাহিনীও হৰমোহনৰ কাহিনীৰ দৰে উদ্‌ভ্ৰান্ত প্ৰেমৰে অন্য এটি দৃষ্টান্ত মাথোন। পুৰাণত আছে– তাহানি স্বৰ্গৰ অপ্সৰা ৰম্ভাই দেৱল নামে মুনি এজনৰ লগত উপগত হবলৈ ইচ্ছা কৰি মুনিক এদিন নিভৃত স্থানত নিজৰ গুপুত বাসনা জ্ঞাপন কৰিছিল। মুনিয়ে তেওঁৰ প্ৰস্তাৱ গ্ৰহণ কৰিবলৈ ইতঃস্ততঃ কৰাত তেওঁ তেওঁক শাস্ত্ৰোক্ত বচনেৰে ভীতি প্ৰদৰ্শন কৰি কৈছিল – "শাস্ত্ৰত জানো তুমি পোৱা নাই যে ৰমণাভিলাষিণী ৰমণীক পৰাঙ্মুখ কৰিলে পুৰুষ কুম্ভীপাক নৰকত পৰে ?" কৃশকায় মুনি তথাপি মান্তি নহ'লত অপ্সৰা ৰম্ভাই তেওঁৰ শৰীৰত সেই মুহূৰ্ত্তৰপৰা আঠোটি ভাঁজ লাগিবলৈ অভিশাপ দিলে। তেতিয়াৰেপৰা দেৱল মুনি ভঙ্গুৰ আৰু দুৰ্ব্বল হ'ল। দৈত্যগুৰু শুক্ৰাচাৰ্য্যৰ যুৱতী কন্যা দেৱযানীয়েও এদিন প্ৰেমৰ তাড়নাত জলা-কলা হৈ দেৱগুৰু বৃহস্পতিৰ পুত্ৰ কচৰ ওচৰত আত্মনিবেদন কৰি বিফল-মনোৰথ হৈছিল।

এসময়ত মহাবীৰ অৰ্জ্জুনে দিব্যাস্ত্ৰ আৰু নিত্য-গীতাদি শিক্ষাৰ কাৰণে ইন্দ্ৰলোকত গৈ সংযতব্ৰতী ছাত্ৰৰ দৰে কাল যাপন কৰিছিল। তেতিয়া ইন্দ্ৰৰ আদেশত ইন্দ্ৰপুৰীৰ অপূৰ্ব্ব-সুন্দৰী অপ্সৰা উৰ্ব্বশীয়ে এদিন গুপুতে তেওঁৰ সঙ্গসুখ কামনা কৰিছিল। উৰ্ব্বশী আছিল পৌৰৱ বংশৰ মাতা আৰু সেইবাবে অৰ্জ্জুনৰ গুৰু-স্থানীয়া। তেওঁক মহাবীৰ অৰ্জ্জুনে সেইভাৱেই গ্ৰহণ কৰিছিল।

উৰ্ব্বশীৰ এনে অসঙ্গত প্ৰস্তাৱ পাই অৰ্জ্জুন বিমোৰত পৰিছিল। তেওঁ যুক্তিৰে উৰ্ব্বশীক প্ৰত্যাখ্যান কৰিলত কামাতুৰা উৰ্ব্বশীয়ে তেওঁক শাস্ত্ৰৰ বচন মাতি উত্তৰ দিছিল– "অপ্সৰা কোনো দিনে কোনো নিয়মৰ বশৱৰ্ত্তী নহয়; তেওঁ উপগত হোৱা বিধি-বিহিত কাম!" তথাপিও কিন্তু অৰ্জ্জুনে তেওঁৰ মনোৰথ পূৰণ নকৰিলে। তেতিয়া তেওঁ ক্ৰোধপৰৱশ হৈ অৰ্জ্জুনক নপুংসক হবলৈ অভিশাপ দিছিল।

হিন্দুসকলৰ সকলো দেৱ-দেৱীৰ পূজা আছে, নাই কিন্তু স্বয়ং সৃষ্টিকৰ্ত্তা ব্ৰহ্মাৰ। কিয় নাই তাকো বিচাৰি বিচাৰি পুৰাণ-কৰ্ত্তা ঋষিয়ে পাইছে গৈ নাৰীৰ অভিশাপত। ঘটনাটো এনেকুৱা। স্বৰ্গৰ অপ্সৰা মোহিনী এদিন কামাসক্তা হৈ কামপ্ৰবৃত্তি উপসমৰ কাৰণে সৃষ্টিকৰ্ত্তা ব্ৰহ্মাৰ ওচৰ চাপিল। ৰতিপতি কামদেৱৰ সহায় লৈ তেওঁ ব্ৰহ্মাক বিচলিত কৰিবলৈ যত্ন কৰিলে। ব্ৰহ্মা সেই সময়ত যোগনিদ্ৰাত। নিদ্ৰাৰপৰা জাগি উঠি তেওঁ সম্মুখত মোহিনীক দেখিলে আৰু তেওঁৰ ভাৱ-ভঙ্গীৰপৰা মনৰ গুপ্ত অভিলাষ বুজিব পাৰি সনম্ৰ ভাষণেৰে কলে- "মাতা মোহিনী, তোমাৰ অভিলাস সিদ্ধিৰ কাৰণে তুমি অন্য ঠাইলৈ যোৱা। মই তোমাৰ মনোবাঞ্ছা পুৰ কৰিব নোৱাৰিম।" মোহিনীয়ে কলে- "স্বয়মাগতা ৰমণীক ৰমণ নকৰিলে পুৰুষ পৰজন্মত নৰক গামী হয়—ই শস্ত্ৰৰ কথা।" তথাপি ব্ৰহ্মা মান্তি নহ'লত তেওঁ ব্ৰহ্মাক অভিশাপ দি কলে - "তুমি মোৰ যাচি দিয়া প্ৰেম গ্ৰহণ নকৰি যিদৰে মোক অৱহেলা কৰিলা, তোমাকো সেইদৰে পৃথিৱীৰ কোনো লোকে পূজা নকৰিব। আজিৰপৰা পৃথিৱীত অন্য দেৱ দেৱীৰ পূজা থাকিব; কিন্তু তোমাৰ নাথাকে। বৰঞ্চ যি তোমাক ভুলতেও পূজা কৰে তেওঁৰ কামনা বাসনা বিফলহে হব।" সেইদিন ধৰি পৃথিৱীত ব্ৰহ্মাৰ পূজা নাই। অপ্সৰা কামিনীৰ অভিশাপত তেওঁৰ এই দশা।

পিছে, ব্ৰহ্মাই হেনো এই ঘটনাটো বিষ্ণুক কলেগৈ। বিষ্ণুৱে সকলো বিষয় শুনি বুজি ব্ৰহ্মাক কলে "ইয়াৰ বাবে দৰাচলতে দোষ তোমাৰহে। কাৰণ নাৰীও জানো তোমাৰে সৃষ্টি নহয়? নাৰীও প্ৰকৃতিৰ এটা শক্তিহে। তুমি সেই শক্তিক অশ্ৰদ্ধা বা অৱজ্ঞা কৰিলে তোমাৰ সৃষ্টি ৰব কেনেকৈ?" ব্ৰহ্মা নিৰুত্তৰ হ'ল।

(২)

পুৰণি অসমত আহোমসকলৰ ভিতৰত এটা ধাৰণা আছিল যে সাধ্বী ভাৰ্য্যাই শুদ্ধভাৱে যত্নেৰে ৰাতিৰ ভিতৰতে তুলা ধুনি, সূতা কাটি, কাপোৰ বৈ সেই কাপোৰ পতিক পিন্ধিবলৈ দিলে—সেই কাপোৰ যেতিয়ালৈ তেওঁৰ গাত থাকে তেতিয়ালৈ যুঁজত শত্ৰুপক্ষই তেওঁক কোনো প্ৰকাৰে ঘাইল কৰিব নোৱাৰে। সেয়ে মন্ত্ৰপূত বস্ত্ৰ। ইও প্ৰেমৰ পৱিত্ৰতাৰে অন্যতম নিদৰ্শন স্বৰূপ।

উত্তৰ ভাৰতৰ বিভিন্ন ঠাইত বাস কৰা পুৰণি আৰ্য্যসকলৰো অনেকৰে এনে এটা বদ্ধমূল ধাৰণা আছিল যে ভোমোৰা'ই মৌ চুহিবলৈ নোপাৱা ফুলেৰে ইষ্ট-দেৱতাক পূজা কৰি ৰণলৈ ওলালে ৰণত জয়লাভ সুনিশ্চিত। এনে ধাৰণাৰ শিপা আছে মনোবিজ্ঞানৰ ভেটিত। অন্য ক্ষেত্ৰত যহ-তহ, প্ৰেম, মৰম বা শ্ৰদ্ধাৰ ক্ষেত্ৰত হ'লে ই দৃঢ়কৈ খাপ খাই পৰে। সেইবাবে বোধহয় প্ৰেমৰ ক্ষেত্ৰত ইমান অসূয়া, ইমান শত্ৰুতাৰ প্ৰবলতা। বিলাত আমেৰিকা আদি ঘূৰি অহা উচ্চ-শিক্ষিত, সম্ভ্ৰান্ত বংশৰ যুৱকেও তেওঁৰ প্ৰেমিকাক অন্যৰ লগত হলিগলি কৰি ফুৰা দেখি গুলীৰ আঘাতেৰে তেওঁক ভূমি-শায়িনী কৰা আৰু নিজেও বুকুত গুলীকে শেষ সম্বল হিচাপে গ্ৰহণ কৰি পৰলোকলৈ গতি কৰাৰ ৰোমাঞ্চকৰ ঘটনাৰো গুৰিশিপা বোধহয় তেনে প্ৰেম-কাহিনীতে পোৱা যাব! বিধৱা নাৰী আৰু তিৰোতা-মৰা ৰৰলাৰো সেয়েহে বিয়াৰ বজাৰত মূল্য অযথাভাৱে হ্ৰাস হয়। সেই বাবেই কুমাৰী মাতৃ অথবা অবিবাহিতা জননীৰ কথা হজম কৰিবলৈ সমাজে টান পায়। সমাজত তেনে নাৰী বহিষ্কৃতাও হয়। অকল দেৱতাৰ পূজাতে নহয়- মানুহৰ প্ৰেমৰ পূজাতো অকলুষিত মন-প্ৰাণৰ পূৰ্ণ-আহুতিহে সকলোৰে কাম্য।

পিছে বাৰিষা যেতিয়া নদীত কোবাল সোঁতেৰে প্ৰবল বানপানী আহে আৰু দুয়ো পাৰৰ আলি-মথাউৰি আদি ভাঙি-ভোহোৰা'ই লৈ যায়, যেতিয়া সেই বাঢ়নী পানীক বাধা দিয়ে কোনে? পানী শুকাবলৈ ধৰিলেহে তাৰ যথাবিহিত প্ৰতিকাৰ হাতত লোৱা হয়। যৌৱনৰো দোকোলটকা বিপুল ধল আহিলে সমাজৰ কৃত্ৰিম নীতি-নিয়মবোৰে সেই ধলৰ গতিত বাধা দিবলৈ অনেক ক্ষেত্ৰত অসমৰ্থ হোৱা দেখা যায়। এই ঘটনা সৃষ্টিৰ কোনোবা অনাদি কালৰপৰা চলি আহিছে আৰু অনন্ত কাললৈ চলিয়ে থাকিব।

আকৌ প্ৰকৃতিৰ ৰহস্য ভেদৰ প্ৰয়াস মানৱৰ এটি চিৰন্তন প্ৰবৃত্তি। তেনে ৰহস্য ভেদৰ দুৰ্ব্বাৰ আকাঙ্ক্ষা আৰু উন্মত্ত যৌৱনৰ ক্ষণিক অস্বাদ লাভৰ প্ৰাণান্তকাৰী বুভুক্ষাই এদিন কুমাৰী কুন্তীদেৱীকো অভিভূতা কৰিছিল। ফলত তেওঁ নৈৰ পাৰৰ নিভৃত স্থানত স্বয়ং সূৰ্য্যদেৱতাক আৰাধনা কৰিছিল— অন্তৰৰ দুৰ্দ্দম বাসনাৰ পৰিনিবৃত্তিৰ অৰ্থে। তাৰেই ফলত মহাবীৰ কৰ্ণৰ জন্ম। তেনে বাসনাৰ তাড়নাতে পৰ্ব্বত-কুমাৰী হিড়িম্বাই বাহুবলী ভীমসেনক অলপ দিনৰ কাৰণে হলেও পতিৰূপে বৰণ কৰিছিল। ৰাৱণৰ ভগ্না শূৰ্পনখায়ো তেনে প্ৰবৃত্তিৰ বশৱৰ্ত্তী হৈহে ৰাম-লক্ষ্মণক পতি-বৰণ কৰিবলৈ গৈ তেওঁলোকৰ হাতত নানাপ্ৰকাৰে লটিঘটি হৈছিল। ইতিহাস আৰু পৌৰাণিক কাহিনীবোৰত এনে উদাহৰণ ভূৰি ভূৰি পোৱা যায়।

প্ৰচলিত এটা জনপ্ৰবাদমতে খ্ৰীষ্টধৰ্ম্মৰ প্ৰৱৰ্ত্তক মহাত্মা যীশুখ্ৰীষ্টৰ জন্ম হৈছিল কুমাৰী মৰিয়মৰ গৰ্ভত, পুৰুষসংসৰ্গ বিহীনভাৱে। ইহুদীসকলে কিন্তু সেই কথা বিশ্বাস কৰা নাছিল। তেওঁলোকে সেই সময়ৰ একাধিক লোকক যীশুৰ পিতৃত্বৰ লগত জৰিত কৰিব খুজিছিল।

মহাত্মা বুদ্ধদেৱৰো ৰজা শুদ্ধোধন আছিল লৌকিক পিতৃহে। প্ৰবাদ আছে যে ৰজা শুদ্ধোধনৰ পত্নী মায়াদেৱীয়ে গৰ্ভ-ধাৰণ কৰিছিল সপোনত শুকুলা হাতী দেখি; তাৰ বাবে স্বামী-সহবাস নিমিত্তমাত্ৰ আছিল।

জৈন ধৰ্ম্মৰ প্ৰৱৰ্ত্তক মহাবীৰৰো জন্ম ৰহস্যাবৃত। ধৰ্ম্মৰ আখ্যান মতে তেওঁৰো পিতৃ নাই। মাতৃয়ে স্বামী-সংসৰ্গবিহীনভাৱে দৈৱানুগ্ৰহতে সন্তান-সম্ভৱা হৈ তেওঁক জন্ম দিছিল।

গ্ৰীচ আৰু ৰোমৰ আখ্যানবোৰত এনে ধৰণৰ অলেখ কাহিনী আছে। গ্ৰীচ আৰু ৰোমৰ প্ৰেমৰ দেৱতা বেকাছে নিজেই জন্ম লাভ কৰিছিল ছেমেলী নামৰ এগৰাকী কুমাৰীৰ গৰ্ভত। মিচৰৰ আখ্যানমতেও তেওঁ-লোকৰ পাতালৰ দেৱতা অচিৰিচৰ (Osiris) জন্ম হৈছিল নীথ (Neith) নামে এগৰাকী অবিবাহিতা কুমাৰীৰ গৰ্ভত। তেনেকৈয়ে ফ্ৰিজিয়াৰ দেৱতা এটিছৰ (Attis) জন্ম নানা (Nana) নামৰ অবিবাহিতা কুমাৰীৰ গৰ্ভত। এনেবোৰ কাহিনী পুৰণিকালত সহজে গ্ৰহণ কৰা হৈছিল আৰু তেনেকৈ ওপজা লোকসকলকো অসামান্য বুলি সততে গণ্য কৰা গৈছিল। এনে

ৰহস্যময় জন্ম-বৃত্তান্ত গ্ৰহণ কৰিব পৰাটো তেতিয়া যেন সন্মান আৰু গৌৰৱৰহে কথা হৈ পৰিছিল।

পুৰুষসংসৰ্গবিহীনভাৱে সন্তান লাভ নাৰীৰ কাৰণে একেবাৰে অসম্ভৱ নহয় বুলি আজিৰ বিজ্ঞানেও স্বীকাৰ কৰিছে, তথাপি আজিৰ সমাজে তাক তেনেদৰে গ্ৰহণ কৰিবলৈ ৰাজী নহয়। সমাজৰ তেনে প্ৰতিৰোধৰ হেতুকে অজ্ঞাত পিতৃত্বৰ অনেক শিশুই কুমাৰী মাতৃৰ উদৰ ত্যাগ কৰি ভূমিষ্ঠ হোৱাৰ লগে লগেই আজিকালি হাবিবন, চুৰা-পাতনি, ডাষ্টবিন আদি শোভা কৰিবলগীয়া হয়। তাৰে অনেকে অতিশীঘ্ৰে পঞ্চত্ব প্ৰাপ্ত হয়; দুই একোজনে গৈ অনাথ আশ্ৰমকে পিতৃগৃহৰূপে গ্ৰহণ কৰি অনিশ্চিত ভৱিষ্যতৰ বিশাল কালসমুদ্ৰত জীৱনতৰী মেলি দিয়ে। বিজ্ঞানৰ জন্ম-নিৰোধক প্ৰণালীৰ আবিষ্কাৰে তেনে ধৰণৰ জন্ম সংখ্যাত হ্ৰাস কৰিছে সঁচা; কিন্তু সমূলি বন্ধ কৰিব পৰা নাই। ইংলণ্ড, আমেৰিকা আদি দেশবোৰত বিজ্ঞানৰ সকলো সা-সুবিধাৰ সুযোগকো উপেক্ষা কৰি এই ধৰণে জন্ম লাভ কৰা সন্তানৰ সংখ্যা আজিও ক্ৰম-বৰ্দ্ধমানৰূপে চলিবই লাগিছে। বস্তুতঃ পাশ্চিমৰ দেশবোৰত পঢ়াশলীয়া বালিকা-জননী বুলি কথা এষাৰো সৰ্ব্বজনবিদিত আৰু সৰ্ব্বজনগৃহীতভাৱে চলি থকা দেখা যায়। এই বিষয়ে কাকত-পত্ৰতো বাৰুকৈয়ে আলচ হয়।

ব্ৰিটেইনৰ ক্ৰয়ডন নামে চহৰৰ স্কুলবোৰত পঢ়াশলীয়া বালিকা-মাতৃৰ সংখ্যা অন্যান্য চহৰতকৈ অধিক। যদিও এনেকুৱা বিষয়ৰ বিশ্বাসযোগ্য সম্পূৰ্ণ খবৰ আৰু হিচাপ পোৱা প্ৰায় অসম্ভৱ; তথাপি ক্ৰয়ডন শিক্ষা সমিতিৰ চেয়াৰমেন মিছেচ মেথেৰিন কেচোনে প্ৰচাৰ কৰা হিচাপৰপৰা বুজা যায় যে ১৯৫৮ চনত ইংলণ্ড আৰু ৱেলচত যোল বছৰৰ তলত ৩৭৯ গৰাকী মাতৃ আছিল; তাৰে ৩০৫ গৰাকী ১৫ বছৰীয়া, ৬২ গৰাকী ১৪ বছৰীয়া, ১০ গৰাকী ১৩ বছৰীয়া, এগৰাকী ১২ বছৰীয়া আৰু এগৰাকী ১১ বছৰীয়া আছিল। সেই একে বছৰতে স্কটলেণ্ডত ৩০ গৰাকী অনূ্যন যোল বছৰীয়া বালিকাই মাতৃত্ব লভিছিল। এই বছৰৰ পিছৰপৰা সংখ্যা বাঢ়িছে বুলি সমাজ-সেৱীসকলে স্বীকাৰ কৰিছে।

ইংলণ্ডত অবিবাহিতা মাতৃ আৰু তেনে মাতৃৰ সন্তানসকলৰ তত্ত্বাৱধান লোৱা জাতীয় কাউন্সিলৰ (National Council for the

unmarried Mother and her Child ৰ) সম্পাদকে কয়—'সমাজ বন্ধনৰ শিথিলতা আৰু মিলা-মিচাৰ অবাধ স্বাধীনতাই দেশত কুমাৰী জননীৰ সংখ্যা বৃদ্ধিৰ এটি প্ৰধান কাৰণ। এনে পৰিবৰ্ত্তনৰ বিৰুদ্ধেও আকৌ আইন প্ৰণয়ন অৰ্থহীন। সমাজৰ আৰু ব্যক্তিৰ নিজ নিজ দায়িত্বজ্ঞানৰ ওপৰতহে এনে অহিতকৰ কাৰ্য্যৰ উৎপাতন নিৰ্ভৰ কৰে। আইন প্ৰণয়নে ইয়াক বাধা দিব নোৱাৰে।

এই অৱনতি দূৰীকৰণৰ দুটা উপায় আছে। পোনতে স্কুল-কলেজবোৰত যৌন বিজ্ঞানৰ প্ৰচুৰ জ্ঞান ছাত্ৰ-ছাত্ৰীসকলে পোৱা উচিত। এই শিক্ষা কিন্তু ডেকা শিক্ষক অথবা দায়িত্বজ্ঞানহীন শিক্ষকৰ দ্বাৰা দিয়া উচিত নহয়। তেনে শিক্ষকৰ দ্বাৰা এই শিক্ষা শ্ৰেণীত দিবলৈ হলে উপকাৰৰ ঠাইত পুনঃ অপকাৰৰ মাত্ৰাহে বঢ়াৰ আশঙ্কা আছে। যৌন বিষয়ৰ ৰহস্যবোৰ যিমানে প্ৰকট আৰু বিদিত হৈ পৰিব, যৌৱনত ভৰি দিবলৈ ওলোৱা শিশুবোৰেও বিষয়টোৰ প্ৰতি সিমানে উদাসীনতা দেখুৱাব।

দ্বিতীয়তে, অভিভাৱক আৰু শিক্ষকৰ ভিতৰত আলাপ-আলোচনা সঘনে হৈ থকা ভাল। দুয়ো পক্ষৰ সহযোগিতাতহে সেই সমস্যাৰ সমাধান সম্ভৱ হব। ই এটা চকাৰ গাড়ী নহয়।

কুমাৰীৰ মাতৃত্ব ধাৰণৰ মূল কাৰণ কি হব পাৰে সেইটো অন্বেষণ আৰু বিশ্লেষণ কৰি কোনো কোনোৱে কয় যে সৃষ্টিতত্ত্ব বিষয়ত প্ৰকৃতিৰ গুপ্ত ৰহস্য উদ্ঘাটন আৰু যুৱা মনৰ কৌতুহল নিবাৰণৰ উৎকট চেষ্টাই ইয়াৰ প্ৰধান কাৰণ। এঘাৰ-বাৰ বছৰ বয়সৰপৰা যৌৱনৰ বলিয়া বা ল'ৰা-ছোৱালীৰ শৰীৰ আৰু মনৰ ওপৰত বৰলৈ ধৰে। তেতিয়া প্ৰকৃতিৰ ন ন ৰহস্য উদ্ঘাটন কৰি নজনা কথা জানিবলৈ সিহঁতৰ মন উত্ৰাৱল হয়। তাৰেই ফলত সিহঁতে ন-ন ক্ষেত্ৰত নতুন নতুন পৰীক্ষা চলাবলৈ আৰম্ভ কৰে।

অন্য এটা কাৰণ এই যে বহুত ল'ৰা ছোৱালীয়ে সৰু কালত পিতৃ-মাতৃৰ-পৰা নিজৰ নিজৰ ঘৰত যথোচিত মৰম-চেনেহ আৰু আপভান নাপায়। কালত মুকলি পৃথিৱীলৈ ওলাই যেতিয়া অন্য কাৰোবাৰপৰা আপোনভাৱে ধাঁকে,ৱালি লোৱা মৰম-দৰদৰ সঁহাৰি পায়, তেতিয়া সিহতৰ মনে পোনেই সেই মৰমৰ ওচৰত সেও হৈ পৰে আৰু তাৰ প্ৰতিদানত নিজক নিঃশেষ কৰি ঢালি দিবলৈ অকণো ইতস্ততঃ নকৰে। এনে অৱস্থাত কিশোৰ মনৰ

কৌতুহল নিবাৰণৰ কাৰণে আৱশ্যকীয় যৌন জ্ঞানৰ সম্প্ৰসাৰণ আৰু অভি-ভাৱকৰ জৰিয়তে শিশুকালত শিশুবোৰক মৰম চেনেহৰ পূৰ্ণ আস্বাদ দান—এই দুয়োটা প্ৰতিবিধান সম্পূৰ্ণৰূপে প্ৰয়োজনীয়।

(৩)

কামকলাৰ চৰ্চ্চা আৰু উৎকৰ্ষ সাধনে যুগ যুগ ধৰি জাতীয় বুৰঞ্জীৰ কৃষ্টি আৰু সভ্যতাৰ অধ্যায়ত অগ্ৰগণ্য বৰঙণি যোগাই আহিছে। অৰ্থো-পাৰ্জ্জনৰ পিছতেই ই ধৰ্ম্মৰো এটি প্ৰধান বৰ্গ বা বাঞ্ছিত সুফল বুলি পৰি-গণিত হৈছিল। কামকলা চৰ্চ্চাৰ প্ৰধান উপকৰণ বা বাঞ্ছিত সুফল বুলি পৰিগণিত হৈছিল। কামকলা চৰ্চ্চাৰ প্ৰধান উপকৰণ বা আহিলা আছিল এক শ্ৰেণীৰ নাৰী সম্প্ৰদায়। তেওঁলোক গণিকা নামে পৰিচিতা আছিল। গণিকা বা বেশ্যা শব্দ কালক্ৰমত অধঃপতিত হলেও একালত গণিকা সম্প্ৰদায়ক ধৰ্ম্ম আচৰণৰ সহায়ক বুলি ধৰি পৱিত্ৰ জ্ঞান কৰা হৈছিল। আনকি গণিকা-গৃহৰ মৃত্তিকা যজ্ঞাদি পৱিত্ৰ অনুষ্ঠানৰো অপৰিহাৰ্য্য সামগ্ৰী আছিল।

প্ৰাচীন কালত আমেৰিকা, আফ্ৰিকা আৰু আনকি ভাৰতৰো অনেক লোকৰ মাজত গণিকা প্ৰথাৰ বিপুল সমাদৰ আছিল। ই অত্যাৱশ্যকীয় অনুষ্ঠানবোৰৰ ভিতৰতে এটা হৈ পৰিছিল। কামকলাৰ চৰ্চ্চা আৰু বিকাশত ই সৰ্ব্বতোপ্ৰকাৰে সহায় কৰিছিল। বাৎস্যায়নৰ কামসূত্ৰত ইয়াৰ সুন্দৰ বৰ্ণনা পোৱা যায়। মহাকবি কালিদাস, ৰজা বিক্ৰমাদিত্য আদি মহৎ লোকসকলো এই অনুষ্ঠানৰ পৃষ্ঠপোষক আছিল। ঈজিপ্ত, বেবিলন আদি দেশৰ দেৱ গৃহবোৰতো গণিকা অনুষ্ঠানৰ পৃথক বন্দোৱস্ত আছিল। ভাৰতত মোক্ষকামী সাধুসকলৰ কাৰণেও কামকলা চৰ্চ্চা ধৰ্ম্মৰ চতুৰ্ব্বৰ্গৰ এক বৰ্গ আছিল (ধৰ্ম্ম, অৰ্থ; কাম আৰু মোক্ষ-এই চতুৰ্বৰ্গ)।

প্ৰাচীন গ্ৰীচত আকৌ পত্নী আছিল কেৱল গৃহস্থীৰ শৃঙ্খলা ৰক্ষা আৰু সন্তান উৎপাদনৰ দ্বাৰা সমাজৰ পুষ্টি-বৃদ্ধি অটুট ৰখাৰ এক প্ৰকাৰ আহিলা স্বৰূপ। উদগ্ৰ যৌন বুভুক্ষা নিবাৰণৰ দ্বাৰা সমাজত সাম্যভাব আনি দিছিল একশ্ৰেণীৰ ব্যৱসায়ী নাৰী সম্প্ৰদায়ে আৰু তেওঁলোকক আখ্যা দিয়া হৈছিল গণিকা। তেওঁলোকে চলন ফুৰণ, পোছাক-পৰিচ্ছদ আৰু প্ৰসাধনৰ কলা-কৌশলৰ সহায়ত যোৱবান সকলক আকৰ্ষণ কৰি নি তেওঁলোকৰ অৰ্থ-

গৌৰৱৰ ছত্ৰছায়া গ্ৰহণ কৰিছিল। তাতো শৃঙ্খলা ৰক্ষাৰ কাৰণে তেওঁলোক হৈ পৰিছিল সমাজৰ এটি অপৰিহাৰ্য্য অঙ্গ। যোমত কিন্তু গণিকা-বৃত্তিৰ প্ৰয়োজন অতি কম আছিল। যুদ্ধত লাভ কৰা দাসীৰ সংখ্যা বৃদ্ধিয়ে ইয়াৰ ঘাই কাৰণ আছিল। দাসীবোৰেই গণিকাৰ স্থান পূৰ কৰিছিল।

মধ্যযুগৰ ইউৰোপতো ৰাজহুৱা স্থানবোৰৰ ও:বে-পাজৰে গণিকা-গৃহ ৰখাৰ প্ৰথা প্ৰচলিত আছিল। ঠাই বিশেষত নৱাগত বিশিষ্ট আলহীক উপযুক্ত গণিকাৰ দ্বাৰা আপ্যায়িত কৰা এটা প্ৰচলিত ৰীতি হৈ পৰিছিল। অতিথি-সেৱাৰ দ্বাৰা নাৰীয়ে পুত্ৰলাভ কৰাৰ উদাহৰণ উপনিষদৰ যুগতো পোৱা যায়।

ডাক-পুৰুষৰ জন্মৰ বিষয়ে অসমতো প্ৰবাদ আছে যে ডাকৰ জন্মও অতিথি সেৱাৰ ফলতেই হৈছিল। প্ৰায় এহেজাৰ বছৰ আগৰ কথা। বৰপেটাৰ দক্ষিণে থকা লোহিডঙৰা নামে গাঁও এখনত ডাক-পুৰুষৰ জন্ম হৈছিল।

লোহিডঙৰা ডাকৰ গাঁও।
তিনিশ ষাঠিটা পুখুৰীৰ নাও!

ডাকৰ বাপেকৰ সাতোটা পুতেক] সাতোৰে বিয়া কৰাইছিল। ছ-টাৰ ল'ৰা-ছোৱালী আছিল; কিন্তু সপ্তমটিৰ একো নাছিল। এই সপ্তমটিৰ গৃহিণীয়ে শাহুৱেকৰ আদেশত এবাৰ দিনদিয়েকৰ বাবে অতিথি শুশ্ৰূষাৰ ভাৰ গ্ৰহণ কৰিবলগীয়া হৈছিল। ভগ্যক্ৰমে পণ্ডিত বৰাহমিহিৰে সেই সময়ত উজ্জয়িনীৰ পৰা কামাখ্যা দৰ্শনৰ কাৰণে আহি অতিথিৰূপে তাত আছিলহি। পণ্ডিত বৰাহমিহিৰক পৰিচৰ্য্যা কৰাৰ ফলত এই গৰাকীৰ ভাগ্যত পুত্ৰ সন্তান এটি লাভ হৈছিল। এৱেঁই আছিল ডাকপুৰুষ। ডাকৰ বচনত আছে—

ডাকৰ বাপেকৰ সাতোটি ভাই।
ছয়টিৰ ল'ৰা লুৰী সৰুটিৰ নাই॥
এদিন আসিয়া মিহিৰ মুনি।
অতিথি স্বৰূপে ৰৈলা আপুনি॥
শাশুৰী বোলে অতিথি যোপা।
টঙি ৰাখিবা গৈছে সাতোটি আপা॥
ঘৰত নাই মুনিহ লোক।
কেনেকৈ বাপা সুধিম তোক?

তেতিয়া মিহিৰ মুনিয়ে তাৰে উত্তৰত বুটীক কলে—

নালাগে চাউল-চৰু, নালাগে জুই ;
খেৰ এমুঠি দিয়া তাতে থাকিম শুই।

অতিথিৰ এনে নম্ৰ কথা শুনি—

শাশুৰী বোলে সৰুজনী আই।
তোৰ লগত একো ছা-ছলি নাই ॥
ঘৰৰ কৰমক পাছে কৰা।
অতিথি বাপাৰ আল ধৰা ॥
বেটাৰ কপালে নাই পো।
অতিথি পূজি ছলি কোলে লো ॥

এইদৰে আলপৈচানত তুষ্ট হৈ যাবৰ সময়ত অতিথি মিহিৰ মুনিয়ে বৰ দিছিল—

তুষ্ট হুইয়া মিহিৰে দিলা বৰ।
পুত্ৰ এক হব মোৰ সম-সৰ]।

তাৰেই ফলত ডাক-পুৰুষৰ জন্ম।

পুৰণি ভাৰতত গণিকা প্ৰথাই সম্ভ্ৰান্ত পৰিয়ালৰ নাৰী আৰু কন্যাসকলৰ যৌন সততা ৰক্ষাত সহায় কৰিছিল বুলি সকলোৱে স্বীকাৰ কৰে। গণিকা-বোৰে নৃত্য-গীত আদি কাম-কলাৰ বিশিষ্ট আৰু সূক্ষ্ম বিষয়বোৰত বিশেষ পাৰদৰ্শিতা লাভ কৰিব লাগিছিল। তেওঁলোকক সমাজে সেইবাবেই শ্ৰদ্ধাৰ চকুৰে চাইছিল। গণিকাগৃহৰ দুৱাৰ-দলিৰ মাটি তীৰ্থভূমিৰ দৰে পৱিত্ৰ বুলি আজিও বুঢ়ালোকে কয়।

কথাতে কয়, 'সৰ্ব্বমত্যন্তং গৰ্হিতম্' অৰ্থাৎ সকলোৰে অতিমাত্ৰা বেয়া। গণিকা বৃত্তিবো অতিমাত্ৰা হোৱাত চীন, ৰুচিয়া আদি ঠাইত তাক কঠোৰ আইন প্ৰণয়নৰ দ্বাৰা বন্ধ কৰিব লগীয়া হৈছিল। এই দুয়ো দেশত বেশ্যা-বৃত্তিৰ আতিশয্যৰ ফলত এসময়ত সমস্ত দেশত নানা প্ৰকাৰ দুৰ্নিবাৰ, দুৰাৰোগ্য ৰোগ বিয়পি পৰি জাতি আৰু সমাজকে পঙ্গু কৰি তুলিবলৈ উপক্ৰম কৰিছিল। ফলত দুয়ো দেশত চৰকাৰীভাৱে এই বৃত্তি সম্পূৰ্ণৰূপে বন্ধ কৰি দিয়া হৈছিল।

সুপ্ৰচলিত জন-প্ৰবাদ এটাৰ মতে কবি কালিদাসৰো মৃত্যুৰ কাৰণ আছিল লক্ষহীৰা নামৰ বিখ্যাত গণিকা এগৰাকীৰ প্ৰতি থকা তেওঁৰ অন্তৰৰ দুৰ্ণিবাৰ উদ্‌ভ্ৰান্ত প্ৰেম।

ছিলং,

১৯৬২

উৎসৱ, বন্ধন, প্ৰেম আৰু সভ্যতা

সকলো সুন্দৰ বস্তুৰে আৱৰণ আছে। সেই আৱৰণৰ আঁৰ কাপোৰ গুচাইহে সৌন্দৰ্য্য প্ৰকাশ পায়। মন ৰূপ লোহক আকৰ্ষণ কৰিবলৈ আৱৰণে সৌন্দৰ্য্যৰ কাৰণে যেন চুম্বকৰ দৰেহে কাৰ্য্য কৰে। আন নালাগে ধুনীয়া পদুম বা গোলাপ ফুলৰ কথাকে ভাবক! দেখিব, এইবোৰ ফুলৰো সৌন্দৰ্য্য পোনতে সেউজীয়া বেটু-পাতৰ দ্বাৰা আবৃত থাকে। তাকে লক্ষ্য কৰি জানো আমাৰ প্ৰকৃতি-কবি ৰঘুনাথ চৌধাৰীয়ে গোলাপৰ বিষয়ে কোৱা নাই ?—

কাৰ পৰশত ফুলিলি বান্ধৈ
অ' মোৰ দৰদী গোলাপ পাহি!
শ্যামল পাতৰ ওৰণি গুচাই,
কাৰ ফালে চাই মাৰিলি হাহি ?

মানৱৰ গৌৰৱৰ মুখ্য অৱলম্বন, মানৱৰ প্ৰগতি-পথৰ প্ৰধান পৰিমাপ সভ্যতাও তেনে এখন আঁৰ-কাপোৰহে। মানুহ যিমানে সভ্য হৈছে সিমানে সি সাজ-পাৰ, অলঙ্কাৰ পাতি, চাল-চলন আদিৰ নন নমুনা উলিয়াই নিজৰ প্ৰকৃত ৰূপ আৰু প্ৰবৃত্তিৰ উৎকৰ্ষ সাধন কৰিছে'। সভ্যতাৰ লগত পৰিবৰ্তন সাঙোৰ খাই আছে। উৎকৃষ্টৰপৰা উৎকৃষ্টতৰলৈ গতি কৰা পৰিবৰ্তনকে প্ৰগতি বা উৎকৰ্ষ বোলা যায়। সভ্যতাও মানৱ মনৰ মানৱৰ কাৰ্য্যৰ এটা প্ৰগতিকামী স্ৰোত মাথোন। সভ্যতাই মানৱৰ নগ্নতাক আৱৰণ পিন্ধাই ন-ৰূপ দিয়ে; অশ্লীলতাক সজাই-পৰাই শ্লীল বা মাৰ্জ্জিতলৈ পৰিবৰ্ত্তন কৰে। পিছে সভ্য সমাজত যিবোৰ কাৰ্য্য নিৰ্লজ্জতাৰ পৰিচায়ক, যি ভাষা অশ্লীল বুলি গণ্য— সেইবোৰ জানো প্ৰকৃততে সম্পূৰ্ণকৈ অবাঞ্ছনীয় বা অপ্ৰয়োজনীয় ? জীৱ সৃষ্টিৰ হেতু জনম-প্ৰক্ৰিয়া! তাৰে ওপৰত বহুণ সানি, তাকেই ঢাকি-ঢুকি আকৰ্ষণীয়তকৈও আকৰ্ষণীয়তৰ কৰি তাৰ মাজেদিয়ে জানো প্ৰেম, প্ৰণয়, প্ৰীতি, যৌনাকৰ্ষণ আদিৰ সৃষ্টি হোৱা নাই ? সেয়ে জানো সাহিত্য, ধৰ্ম্ম, কৰ্ম্ম আদিৰ মূল বস্তু নহয় ?

ঢাকি থোৱা বস্তু চাবলৈ আনকি সৰু ল'ৰা এটিৰো আগ্ৰহ জন্মে। ক্ৰম-বৰ্দ্ধমান জীৱন্ত বস্তু ঢাকি ৰখাও সহজ কাম নহয়। এখখিনিতে কাশ্মীৰী পণ্ডিত শিহ্লন মিশ্ৰৰ বিষয়ে চলি অহা এটা কাহিনী কোৱা যাওক। ৰজাই শিহ্লন মিশ্ৰক নিয়োগ কৰিছিল ৰাজ-কন্যাৰ গৃহ-শিক্ষক হিচাপে, কিন্তু ৰজা আছিল এগৰাকী সন্দিহান ব্যক্তি। সুন্দৰী ৰাজকন্যাক সন্মুখত ৰাখি সদায় পাঠ শিকাওঁতে জানোচা ছাত্ৰী আৰু শিক্ষকৰ ভিতৰত কেনেবাকৈ ঘৃত-বহ্নিৰ সম্বন্ধ ঘটে এই আশঙ্কা কৰি ৰজাই দুয়োৰো মাজত আঁৰ-কাপোৰ এখন তৰি দিয়ালে। আঁৰ-কাপোৰৰ আঁৰৰপৰাই শিহ্লন মিশ্ৰই ৰাজকুমাৰীক কাব্য ইতিহাস আদি পঢ়াবলৈ ধৰিলে। কাব্যৰ লগত অলঙ্কাৰ শাস্ত্ৰ শেষ কৰিলত পৰীক্ষাৰ সময় আহিল। পণ্ডিতে কলে—"মই একোটা বাক্য কম, তুমি তাৰ লগত খাপখোৱা বাক্যটো দি ছন্দ আৰু অলঙ্কাৰ পূৰ কৰিবা।" কাৰ্য্যতো সেয়ে হ'ল। পৰীক্ষা হয়তো কেইবাদিনো চলিল। কেতিয়াবা পণ্ডিতে কয়—"পদুম ধুনীয়া, কিন্তু বিধিৰ বিড়ম্বনাত যদি সি মেঘৰ আঁৰ-কাপোৰ ভেদি চন্দ্ৰৰ শুভ্ৰ কান্তি দেখিবলৈ নাপায় তেন্তে তাৰ অন্তৰতো জানো বেদনা নাহে?" উত্তৰত যুৱতী ৰাজকন্যায়ো যথাযথভাৱে কয়—"বেদনা নিশ্চয় আহে, কিন্তু ওপৰত থকা চন্দ্ৰইহে আৱৰণ ভেদ কৰি নিজৰ শান্তিময় কান্তি পদুমক দিব লাগে। নহলে চন্দ্ৰৰ মহত্ত্ব ক'ত?"

ঠিক এনেকৈয়ে কটাকটি চলে। চুপতিৰ মোহত দুয়োৰো সময় কেনেকৈ উকলি যায় দুয়ো নাজানে। আঁৰ-কাপোৰৰ আঁৰত থাকি চট্‌ফটাই দুয়ো কাল কটায়। শেষত শ্লোকেৰেই প্ৰশ্নোত্তৰত স্থিৰ হ'ল যে দুয়ো বাধা বিঘিনি নামানি দুয়োকে একোবাৰ চাই লব। সেয়ে হ'ল। তাৰ পিছত যি হব পালী-পহৰীয়াৰ চকুত ধুলি মাৰি ডেকা পণ্ডিতৰ লগত যুৱতী ৰাজকন্যা পলাই গুচি গ'ল।

ৰজাই দুয়োকো ধৰাই আনিলে। পণ্ডিতক কাৰাবাস দিয়া হ'ল। পণ্ডিতে কাৰাবাসতেই 'শান্তি-শতক' আদি কবিতাৰ পুথি লিখি বিশ্বৰ সাহিত্য-ভঁৰাললৈ অনুপম বৰঙণি যোগালে। সাহিত্যৰ বুৰঞ্জীত এনে কাহিনী আৰু অনেক আছে।

পিছে, বিশ্লেষণ কৰি চালে দেখা যায় যে যি কাৰ্য্যৰ অবাৰিত প্ৰকাশক বৰ্ব্বৰতা, অসভ্যতা, নিৰ্লজ্জতা আদিৰ পৰিচায়ক বুলি ধৰা হয়, যাৰ লগত

স্যাঙোৰ খাই ৰকা ভাষাক অশ্লীল আখ্যা দিয়া হয়, সেইবোৰেই সভ্যতাৰ সোঁমাজত মাজে মাজে উক্ দি ওলাই সভ্যতাক জীৱনী-শক্তি দান কৰে; সেইবোৰেই বসন্ত বেমাৰৰ ছিটাৰ দৰে পৰিমিত ব্যৱহাৰৰ দ্বাৰা সভ্যতাৰ শোধনাগাৰ বা মাপকাঠি হৈ পৰে। কৃষ্টি, সভ্যতা, সমাজ আদিৰ মূল বস্তু উৎসৱ-আনন্দবোৰেই তাৰ উজ্জ্বল সাক্ষী। বিহু নাচ, হোলি, 'বল ডেঞ্চ আদি আটাইবোৰ উৎসৱৰ গুৰি শিপা জীৱনৰ তথাকথিত অনাৰ্য্য ভাবৰ লগত জড়িত। এই সকলোবোৰৰ মাজেদি যৌৱনৰ পুঞ্জীভূত উদ্দাম বাসনাই উত্থানৰ মাজত নিৰূপিত গতিত পৰিচালিত হোৱা নিজৰাৰ দৰে জিল্‌মিল্‌কৈ দেখা দিয়ে। পোনতে হোলি উৎসৱৰ কথাই কোৱা যাওক। ই এটি বসন্তোৎসৱ। বসন্তৰ আগমনৰ আগবতৰা লৈ ফাগুনী পূৰ্ণিমাৰ নাতিশীতোষ্ণ নিশাই মানৱৰ অন্তৰত যি দুৰ্নিবাৰ শিহৰণ জগায়—এই উৎসৱে জানো তাৰে এটি প্ৰতীকৰূপে দেখা নিদিয়ে? কোনো কোনো ঠাইত এই উৎসৱক শ্ৰীকৃষ্ণৰ পুতনা ৰাক্ষসী বধ কৰা দিন বুলি ধৰি তেনে ভাবৰ দ্বাৰা ইয়াৰ আনন্দক পৱিত্ৰ কৰি তোলা হয়। শীতৰূপী পুতনাক বসন্তকোঁৱৰ কৃষ্ণই এই দিনতে বধিছিল বুলি ৰূপক নিৰ্ম্মাণ কৰাতো বাধা নাই। এনে ধৰণৰ ব্যাখ্যা নানা ঠাইত নানা ধৰণে চলি আহিছে। যিভাৱেই চোৱা যায় সেই ভাবেই ই ৰূপ লয়।

দক্ষিণ ভাৰতত উৎসৱৰ দিনা তিৰোতাসকলে গোৱা গীত আৰু বচনবোৰত ৰতি-বিলাপ অৰ্থাৎ কামদেৱ ভস্ম হোৱাত তেওঁৰ পত্নী ৰতিয়ে কান্দি-কাতি গোৱা বিলাপ-গীত বৰকৈ গোৱা হয়। ইফালে ডেকা ল'ৰা ছোৱালীবোৰ হোলি খেলাৰ লগে লগে কামুকতা-ভৰা অশ্লীল সঙ্গীত গাই নাচে; হাঁহে, জোকোৱাজুকি কৰে, তথাপি সেই দিনত কোনেও কাৰো একো অপৰাধ নধৰে।

পঞ্জাৱৰো কোনো কোনো ঠাইত এইদিনা নিলাজ কথাৰে গীত গাই গাই মাতলামি কৰা বিধি বিহিত কাম।* দিনটো ডেকাসকলৰ কাৰণে গুপ্ত

* The chiet features of this Holi celebrations are singing of lewd songs, sprinkling of coloured water on the another, rowdy crowds and a general atmosphere of licence—Epics, Myths and Legends of India by P. Thomas.

যৌৱনৰ মুক্ত স্ফুৰণৰ ভোগালী দিন। মাদ্ৰাজৰ কোনো কোনো ঠাইত এই দিন কুঞ্জৰ মাজত, গছৰ আঁৰত মৃত্‌-মাইকীয়ে খেদাখেদি কৰে, লুকাভাকু খেলে। ইন্দোৰত এই উৎসৱ পাঁচ দিন চলে আৰু পঞ্চম দিনাক ৰংপঞ্চমী বোলা হয়। সেইদিনা এখন ডাঙৰ দৰবাৰ হয় আৰু তাত উচ্চ কৰ্ম্মচাৰীসকলকো ৰং দি ডেকা ডেকেৰী, লৰা-তিৰোতা আদিয়ে ধেমালি কৰে।

দৌল পূৰ্ণিমা আৰু ফল্গু উৎসৱৰ কথা একাধিক পুৰণি সংস্কৃত নাট আৰু শাস্ত্ৰত উল্লিখিত আছে। দৌল-পূৰ্ণিমাৰ আগ দিনা কোনো কোনো ঠাইত মেষ দাহ বা ভেৰাঘৰ পোৰা এটা শাস্ত্ৰীয় অনুষ্ঠান আছে। এই ভেৰাঘৰেই অসমৰ ভেলাঘৰত ৰূপান্তৰিত হোৱা বুলি বহুতে ভাবে। পশ্চিম ভাৰতত ইয়াক হোলিকা পোৰা বোলে। হোলিকা হেনো ৰাৱণৰ ভনীয়েক আছিল। এই ভেৰা-ঘৰ পোৰা কাৰ্য্য মাঘ বিহুৰ লগত জড়িত হৈ আছে আৰু বিহু উৎসৱৰ লগত জড়িত আছে বিহুগীত, হুচৰি গীত আদি যৌৱন-জগোৱা মুকলি গীতবোৰ।

শ্ৰীকৃষ্ণই গোপীসকলৰ লগত এই ফল্গু উৎসৱৰ দিনা হেনো ৰং খেলিছিল। পিছে আকৌ কৃষ্ণনো কোন? ছান্দোগ্য উপনিষদত প্ৰাসঙ্গিকভাৱে নামমাত্ৰ উল্লেখ থকাত বাহিৰে বৈদিক সহিত্যত কৃষ্ণৰ উল্লেখ পাবলৈ নাই। মহাভাৰতৰ যুগতহে শ্ৰীকৃষ্ণৰ পূৰ্ণ প্ৰাদুৰ্ভাব হয়। তেওঁক বহুতে প্ৰাক্‌বৈদিক যুগৰ অনাৰ্য্য দেৱতা অথবা অতিমানৱ বুলিও গণ্য কৰে। কিন্তু হিন্দুসকলৰ মানত তেওঁ হ'ল "কৃষ্ণস্তু ভগৱান স্বয়ং।" বৈষ্ণৱ-ধৰ্ম্মৰ ৰাধাকৃষ্ণৰ আবিৰ্ভাবো নাৰী পুৰুষৰ মাজত থকা জৈৱিক আকৰ্ষণ নতুবা আত্মা-পৰমাত্মাৰ মাজত থকা পৱিত্ৰ আকৰ্ষণৰ এটা ক্ষুদ্ৰ বিকাশ বা ৰূপক বুলি গণ্য কৰা হয় (Jt is a finer form of sex-worship -- P. Thamas)।

এইদৰে সভ্যতাই ঢাকনি দি ৰখা মানৱৰ নগ্ন আকাঙ্ক্ষাবোৰেও কোনো কোনো দিনত মুক্ত স্ফুৰণ বিচাৰি উধাও হয়। দেশৰ দস্তুৰ মতে এইবোৰেই একো একোটি উৎসৱত পৰিণত হৈছে। এনে উৎসৱৰ ছেলু লৈ মানৱৰ ৰুদ্ধ আকাঙ্ক্ষাই— আগ্নেয়গিৰিয়ে বাষ্প, ধোঁৱা, গলিত ধাতু আদি উদ্গীৰণ কৰাৰ দৰে আত্মপ্ৰকাশ কৰে। বিহুৰ উৰুকাৰ দিনা গালি খোৱা মঙ্গলজনক; লক্ষ্মীপূজাৰ দিনাৰ শাও-শপনি আশীৰ্ব্বাদৰ তুল্য — এনেবোৰ ধাৰণাবো গুৰিত আছে মানৱৰ ৰুদ্ধ মনৰ ক্ৰুদ্ধতাভৰা ক্ষোভ। যি উৎসৱৰ মাজেদি

তেনে ক্ষোভ প্ৰকাশ পায় সিয়েই সভ্যতা আৰু সংস্কৃতিৰ জীৱন্ত ইতিহাস স্বৰূপ। গতিকে এইটো নিঃসন্দেহে কোৱা যায় যে সভ্যতা, সংস্কৃতি আদি-বোৰ আদি মানৱৰ আদিম মন আৰু প্ৰবৃত্তিৰ বিচিত্ৰ আভৰণ মাত্ৰ, আকা-ঙ্ক্ষাৰ নিবৃত্তিৰ উপায় বা মাৰ্গ নহয়। সেয়েহে কবিৰ ভাষাত কোৱা যায় —

যিভাৱে দেখিবা এই সংসাৰ ভাওনা ;
সেই ভাৱে গৰাসিব তোমাৰ জীৱন ;
হিংসা দ্বেষ চকু দিলে পাবা হিংসা-দ্বেষ,
প্ৰেমত দেখিবা তুমি মধুৰ মিলন।

গুৱাহাটী,
১৯৫৭

যোজোনা আৰু ডাকৰ বচনত
নাৰীৰ স্বৰূপ

অসমৰ গাঁও-ভূঁইবোৰত আজিকোপতি তথাকথিত আধুনিক সভ্যতাৰ পোহৰ ভালকৈ পৰা নাই। গাঁৱৰ মানুহে শেক্সপীয়েৰ-কালিদাসৰ বিখ্যাত উক্তিবোৰ আওৰাই কথাৰ যুক্তি দিব নোৱাৰিব পাৰে সঁচা, কিন্তু কেতিয়াবা কেতিয়াবা একো একোটা মানুহে অসমীয়া যোজনা-ফকৰাবোৰ ফটাফট মাতি যিদৰে নিজৰ যুক্তিবোৰ শাৰী লগাই দিয়ে, তাক ভাবিলে তবধ মানিব লাগে। ডাকৰ বচন বোলে বেদৰ বাণী। ডাকৰ বচনক যিদৰে অসমীয়া মানুহে বেদৰ বাণী বুলি ধৰি লয়, যোজোনাবোৰৰ যুক্তিযুক্ততাও সেই একেদৰেই মানি লয়। ধৰিবলৈ গলে এই যোজোনাবোৰ ডাকৰ বচনৰেই এটি অংশবিশেষ। ডাকৰ বচনৰ দৰেই এইবোৰে মানুহক জীৱন পথত পোহৰ দেখুৱাই আগবঢ়াই নিয়ে।

বিজুলীৰ চকামকা পোহৰে এন্ধাৰৰ বস্তুৰ একোটি স্পষ্ট-অস্পষ্ট ৰূপ দেখুৱাই দিয়াৰ দৰে জীৱনৰ প্ৰতিটো অৱস্থাৰ ওপৰতেই এই যোজোনাবোৰে একো চমকা পোহৰ পেলাই দি গৈছে; কিন্তু এইবোৰত একোটা ৰহস্যময় ব্যাখ্যা সোমাই থাকে; কথাবোৰো ভকতীয়া ধৰণৰ। গতিকে যোজোনা বোলোঁতে ফকৰাবোৰৰ কথা ইয়াত বাদ দিয়া হৈছে।

যোজোনাৰ মাজেদি অসমীয়া নাৰীৰ স্বৰূপ কিদৰে ৰূপায়িত হৈছে তাকে চোৱা যাওক। পোনতে তিৰোতাৰ ৰূপ সম্বন্ধে। "ৰূপত ঘুণে ধৰে" আৰু "যতই সুন্দৰী নাৰী ততই অনৰ্থকাৰী" এনেবোৰ বচনে ৰূপতকৈ বেছিকৈ গুণলৈহে মন দিবলৈ কৈছে। চট্টগ্ৰাম অঞ্চলত প্ৰচলিত গোটাচেৰেক মৌখিক বচনেও এই একে ধৰণৰ ভাবকেই প্ৰকাশ কৰা দেখা যায়। অনুবাদ কৰি উলিয়ালে অসমীয়াত সেইবোৰ একে ভাবৰ মাত কথা হৈ পৰে, যেনে—

অতীব সুমিষ্ট আম প্ৰায়ে পোক-যুক্ত।
ৰূপৱতী ৰমণীও অত্যল্প বিশ্বস্ত ॥

*　　　*　　　*

অধিক পাতৰ গছ প্ৰায়ে ফলহীন।
ৰূপহী ৰমণী প্ৰায়ে সন্তান বিহীন॥

অসমীয়াত বস্তুতঃ—"ৰূপে কি কাজ কৰে; গুণেহে সংসাৰ তৰে" অথবা "ৰূপে কি কৰিব, গুণে যদি নাটে"- বুলি বচনো আছে।

সেই বুলি কিন্তু আদৰ্শ নাৰীৰূপৰ চিত্ৰও যোজোনা-ফকৰাবোৰে নিদি-য়াই থকা নাই।

দীঘল চুলিৰে, দীঘল নাকেৰে কঁকাল সৰুকৈ, ওখই-পাখই শুৱনী - এই গৰাকীয়েই যেনিবা সুশ্ৰী বা শুৱনী তিৰোতা। চুলি নথকা তিৰোতাৰ বিষয়ে কোৱা হয়—বোলে—

মাজ মূৰত নাই চুলি,
পৈযেকে মাতে ৰূপহী বুলি।—

অৰ্থাৎ ৰূপহী আখ্যা পাবলৈ হলে দীঘল চুলিকোচা থাকিবই লাগিব। তেনেকৈ আকৌ নাক দীঘল নহয—এনে তিৰোতাক ৰূপহী বুলিবলৈ গলেও ব্যঙ্গ কৰি কোৱা হয়—

ৰূপকে চাবা নে গুণকে চাবা—
যেন সৰগৰ তৰা;
একোকেই দেখোন নিন্দিব নোৱাৰি -
নাকটোহে অলপ থেঁৰা।

তেনেকৈ আৰু কোৱা হয়—"থেঁৰা-নাকী ছোৱলীৰ, পেটুৱা দৰা"—ইত্যাদি।

কঁকাল-ডাঙৰী, তিৰোতাৰ আপচু। পিন্ধি-উৰি ওলালে বোলে বান্দৰীও সুন্দৰী হয়; তথাপি ডাঙৰ কঁকালৰ তিৰোতাক পিন্ধি-উৰি, চুচি-মাজি ওলালেও সুন্দৰী বোলা নাযায়। ঠাট্টাৰ সুৰত তাকেই কৈছে বোলে—

সজালোঁ পৰালোঁ নগাই নিব বুলি,
নগাই এৰি গ'ল কঁকাল ডাঙৰ বুলি।

সেয়েহে আজিৰ দিনত উপবাস খাটি নতুবা কঁকালত আটি-আটি চাদৰ বান্ধিও গাভৰু ছোৱালীয়ে কঁকাল সৰু কৰিবলৈ যত্ন কৰিব লাগে বুলি অভিজ্ঞ-সকলে কয়। কোৱা বাহুল্য, বহুতে এই উপদেশ আখৰে আখৰে মানিবলৈও যত্ন কৰে।

তিৰোতা কেনে হব লাগে বা কেনে হব নালাগে—সেই বিষয়ে কোৱা আছে—

যাৰ ঘৰত মতা-মুৱা তিৰী,
তাৰ ঘৰত নাই ছিৰী।

* * *

টোপনিৰ নেওচান বাতিপুৱা (বা বৰেৰ পুৱা)
তিৰীৰ নেওচান সৰু-মুৱা।

০ ০ ০

বাঢ়নীৰ খুটি;
তিৰীৰ চুটি।

০ ০ ০

হাতী শুৱনী দাঁতে;
তিৰোতা শুৱনী মাতে। ইত্যাদি

অলঙ্কাৰ-প্ৰিয়তা সকলো তিৰেতাৰ মনৰ গুণ। নাৰীৰ ই জন্মগত প্ৰবৃত্তি বুলি আগতে উল্লেখ কৰি অহা হৈছে। ফুলে সৌৰভৰ সহায়ত ভোমোৰাক আকৰ্ষণ কৰাৰ দৰে জাক-জমকতাৰ সহায়ত পুৰুষৰ মন আকৰ্ষণ কৰিবলৈ তিৰোতাৰ অন্তৰতো এটি আকাঙ্ক্ষা সদায় বৰ্ত্তমান। ৰূপৰ বজাৰত তিৰোতাৰ ঈৰ্ষা আৰু প্ৰতিযোগিতা অন্ততঃ যুৱতী অৱস্থাত সদায় আছেই আৰু থাকিবও। অলঙ্কাৰে শৰীৰৰ শোভা বঢ়ায়; আৰু সেইবাবেই তিৰোতাৰ অলঙ্কাৰৰ কাৰণে ইমান হাবিয়াহ। অলঙ্কাৰৰ লোভত তিৰোতাই কেতিয়াবা বয়সীয়া লোকলৈও বিয়া সোমাবলৈ সন্মত হয়। তাৰ দৃষ্টান্ত গ্ৰাম্য সমাজত বিস্তৰ আছে। দ্বিতীয় দাৰ-পৰিগ্ৰহ কৰিবৰ সময়ত ভাবী বুঢ়া বৰে সদায় নিজৰ ঘৰৰ পুৰণি আ অলঙ্কাৰবোৰৰ প্ৰদৰ্শনী পাতি কন্যাৰ মন আকৰ্ষণ কৰিবলৈ যত্নপৰ হয়। অলঙ্কাৰৰ লোভত তিৰোতাৰ মন কিদৰে নাচি উঠে তাৰ ইঙ্গিত যোজোনাই দিছে—

সোণৰ কৰীয়া থোপ;
তোলৈ নাযাওঁ, যাম বাপেৰলৈ,
মাহী আই বুলিবি মোক।

নাৰীৰ অলঙ্কাৰৰ প্ৰতি থকা এনে স্পৃহাকেই উপহাস কৰি কোৱা হয়—

পাণৰ নাকাটিবা চান।
সাতখন কোৰৰ কৰীয়া গঢ়াই দিম,
জোকাবিবি লেবেলা কাণ।

আকৌ তেনেকৈয়ে—

আলসুৱা তিৰী, গাত নাইকিয়া ছিৰী;
জোটাজোটে পিন্ধি যায় পিতলৰ বিৰি।

ভাল সাজপাৰ পিন্ধি অলঙ্কাৰ-পাতিৰে জকমকীয়া হৈ থাকিলে সময়ত কুশ্ৰী নাৰীকো সুশ্ৰী যেন দেখা যায়। সেইদেখি আজিৰ দিনত বিয়া-সবাহ নাইবা চিনেমা ঘৰত চোৱাৰ দৰে আগৰ দিনত ছোৱালী চোৱা নহৈছিল। বেউলা-লখিন্দাৰৰ আখ্যানতেও সেই কথা স্পষ্টকৈ পোৱা যায়। পুতেক লখিন্দাৰৰ কাৰণে ছোৱালী বিচাৰোঁতে বণিকপ্ৰবৰ চন্দ্ৰধৰে ভেশছন কৰি গৈ পানী আনিনলৈ যাওঁতেহে বেউলাক চাইছিল। তাকেই যোজোনাই কৈ থৈছে—

আহু চাবি গধূলি, শালি চাবি পুৱা;
জাকৈ বাওঁতে ছোৱালী চাবি, কোন কেনেকুৱা।

কালিদাসে তাহানি 'তন্বী শ্যামা'কেই আদৰ্শ সুন্দৰী নাৰী বুলি বৰ্ণনা কৰা দেখি আজিৰ অনেক পাঠক স্তম্ভিত হয়। যোজোনাত অসমীয়া 'সুতিৰী'ৰ যি ৰূপ-বৰ্ণনা বা গুণৰ বিচাৰ পোৱা যায় সি আৰু এফাঠি চৰা। সেই মতে হলে—

সুতিৰী ফেদেলী; সুফল কদলী;
সুজল বৰিষণ; সুপুৰুষ কিৰিষণ;
সুপুৰুষ ৰামা; সুতিৰী শ্যামা।

সিমানেই নহয়, আৰু কোৱা আছে বোলে—

মাটি কিনিবি চিটা-বান্ধনি
গৰু আনিবি গাই;
ছোৱালী আনিবি এলাই-জাবৰী
ঘৰ ৰাখিব তাই!

তেনেহলে দেখা গ'ল ষৰধৰা. ঠিক ছোৱালী হ'ল—এনাই-জাৰবীজনীহে ! ইয়াকে শুনি কোনোৱে হয়তো কব—

হায়, কালবো কাল বিপৰীত কাল ;
হৰিণে চেলেকে বাঘৰ গাল।

অৰ্থাৎ ৰূপৱতীক চেৰ পেলাই ফেদেলীহে আগবাঢ়িল। পিছে আকৌ 'শ্যামা' মানে 'ক'লী' নহয় দেই! জুইত পোৰা সোণৰ বৰণটোহে বোলে শ্যামা স্ত্ৰীৰ বৰণ; আৰু সেই শ্যামা স্ত্ৰী বোলে শীতত গৰম আৰু গৰমত আৰামজনক শীতল। সংস্কৃতত তাকে কৈছে—

শীতকালে ভবেত্‌ষ্ণা উষ্ণেষু সুখশীতলা।
তপ্ত কাঞ্চনবৰ্ণাভা—সা শ্যামা পৰিকীৰ্ত্তিতা।

অসমীয়া যোজনাবোৰত নাৰীৰ ৰূপ আৰু সৌন্দৰ্য্যৰ বিষয়ে পোৱা ধাৰণাৰ দৰে গুণ আৰু প্ৰকৃতিৰ বিষয়েও যথেষ্ট কথা পোৱা যায়। আজিকালি ছোৱালীৰ শিক্ষাত যিদৰে নাচ-গান, লেখা-পঢ়া আদি বিষয়ত জোৰ দিয়া যায়, যোজোনা-ফকৰাবোৰে সেইদৰে এইবোৰত জোৰ দিয়া নাই। যোজোনা ফকৰাবোৰে ঘাইকৈ জোৰ দিছে বোৱা-কটা বিষয়ত। আজিকালিৰ লেখা-পঢ়াৰ ঠাই আগতে বোৱা-কটাই লৈছিল বুলি ধৰিব পাৰি। বোৱা-কটা নাজানিলে অসমীয়া ছোৱালীৰ কাৰণে আগৰ দিনত দৰা পোৱাই বৰ কঠিন আছিল ; যেনে—

লবৰ মন গ'ল আচু-দিয়া বিহা, হাতেও নহলোঁ কাজী ;
যাবৰ মন গ'ল পিলিঙা ডেকালৈ, কপালত নাহিলোঁ সাধি।

আৰু তেনেকৈ—

শালক শিঙিয়ে হাঁহে ;
তয়ো একাজী, ময়ো একাজী
ভালেহে গৰাকী নাহে।

অকাজী তিৰোতাৰ স্বামী হোৱাটোও এটা দুৰ্ভাগ্যৰ কথা বুলি ধৰি লোৱা হয় ; যেনে—

থুপুৰীৰ (অৰ্থাৎ অকাজী তিৰোতাৰ) পৈ,
মাজে ফুটা ছৈ ;

কাটি খায় কাটনা—
এই তিনিৰ যমৰ যাতনা।

ব'ব-কাটিব নজনা তিৰোতাক উপহাস কৰিবলৈ নানা প্ৰকাৰৰ যোজোনাৰো সৃষ্টি হৈছে; যেনে—

এহাত কাপোৰৰ দুহাত দহি;
কলৈ যোৱা ফোপজহী?

*   *   *

দুডাল সূতা এডালকৈ;
লহপহকৈ নিয়ে বৈ।

*   *   *

তাইৰ সমান নাই কাজী,
এসেৰ কপাহেৰে বটে এডাল পাঁজি।

*   *

কাজীৰ টিকাত পাঁজি;
অকাজীৰ টিকাত মুগাৰ মেখেলা
যায় খমখমকৈ বাজি।

*   *   *

বৰবৌ কিমান কাজী;
বেৰৰ জলঙাইদি, চাই পঠিয়ালোঁ
ধৰিব নাজানে পাঁজি।

আকৌ কাজী নহয়, অথচ লচপচকৈ কাজী দেখুৱাবলৈ যায়, এনে তিৰোতাক উপলক্ষ্য কৰি কোৱা হয়—

তিনি গধূলি তৰি ললে তাঁত;
উঘটিত নিলে পৈয়েকৰ দাঁত।

অসমীয়া লোকৰ মাজত এটা ধাৰণা আছে যে মাক কাজী হলেই সাধাৰণতে জীয়েকো কাজী হয়। সেই বাবেই বিয়াৰ কাৰণে ছোৱালী ধৰিবলৈ গলে অনেক সময়ত মাকৰ গঢ়-গতি লক্ষ্য কৰিয়েই ছোৱালীৰ স্বভাৱ-চৰিত্ৰ চলন-ফুৰণ আদি অনুমান কৰা যায়। কথাতেই কয় বোলে—

টিক বলধা পোলাই মাটি ;
মাক ভালেহে জীয়েক জাতি ।
আৰু- মাটি কিনিবা মাজ-খাল ।
ছোৱালী আনিবা মাক ভাল ॥ —ইত্যাদি ।

মাকে বোৱা-কটা নাজানিলে ছোৱালীয়েও সাধাৰণতে বোৱা-কটা নাজানে বুলি ধৰি লোৱা হয় । ঠাটাৰ সুৰত সেই দেখিয়েই লোকে কয়—

মাকে নজানে তাঁত-বিহা,
জীয়েকৰ গাত ফুলাম বিহা ।
[illegible]
মাকৰ [illegible] কাপোৰ ;
ঢেঁকী থে [illegible] বহে পাঁজি ।

কবলৈ গ'লে তাঁত-শালখনেই আছিল অসমীয়া গাভৰুৰ জীৱন-সৰ্ব্বস্ব । হাতেৰে তাঁত বৈ থাৰে তেহে অসমীয়া ছোৱালীয়ে মুখেৰে বিয়া নাম আওৰায় । তুথন বা তিনিখন এড-চাদৰ বৈ বিক্ৰী কৰিব পাৰিলে আজিও সৰু-সুৰা গৃহস্থী এখনৰ বছৰেকৰ খৰচ ওলায় । এনেকৈ তাঁত-শালখনেই যেতিয়া জীয়ৰী ছোৱালীৰ কাৰণে ভকতৰ মালাৰ দৰে আছিল—তেতিয়া যে ইয়াকে গৰিলা লৈ অনেক সময়ত সিহঁতৰ যৌৱনোচিত মনোভাবো ফুটি ওলাইছিল তাত আচৰিত হব লগীয়া একো নাই । অলপ চলক-ভলক ধৰণৰ গাভৰু ছোৱালীয়ে চঞ্চল-চিত্তেৰে তাঁত বহি থকা দেখিলে ৰসিকতা কৰি লগৰীয়াই কয়

আন্ধাৰত তৰিছোঁ তাঁত ;
ফুৰি-থৈ আহোঁ গৈ ধনৰ চুবুৰীত,
লগাই থৈ আহোঁগৈ মাত ।

* * *

বহোঁ তাঁতশালত ।
চকু আলি বাটত—ইত্যাদি ।

* * *

—তিৰী, ধৰী (অৰ্থাৎ ধৰিত্ৰী), কড়ি,
এই তিনি প্ৰাণৰ বৈৰী—

বুঢা লোকে এইদৰে কয় যদিও ই বুঢা লোকৰহে উপদেশ; ডেকা, সংসাৰী মানুহে কাণেৰে শুনি তাক হয় বুলি মূৰ দুপিয়ালেও—হাতে-কামে তাক মানি চলিব নোৱাৰে। সীতা, হেলেন আদি তিৰোতাৰ কাৰণে পৰ্ব্বত কি হৈ গৈছিল, আৰু ৰাজ্য বা ভূমিৰ কাৰণে সিদিনা মাথোন কি থৈয়া-নথৈয়া ৰণ হৈ গ'ল তাক সকলোৱে জানে। কড়ি বা অৰ্থৰ কাৰণে দৈনন্দিন জীৱনতেই যেনে দুৰ্ঘটনাবোৰ হয়হি—তাকো কোনোৱে নজনা নহয়; অথচ এই সকলোবোৰ ত্যাগ কৰিব পাৰিছে কেইজনে? গতিকে এনে উপদেশক অনাসক্ত সিদ্ধ পুৰুষৰ বচন বুলি ধৰি লৈ সংসাৰী সকলে এখোজ পিছ হুঁহকি কব লাগিব—

—তিৰী হন্তে গিৰী,
তিৰী হন্তে হতছিৰী।

মহাভাৰততো আছে "ন গৃহং গৃহমিত্যাহুঃ, গৃহিণীং গৃহমুচ্যতে।" অৰ্থাৎ তিৰীয়েহে গিৰী। তাকেই আকো কোৱা হয়—

ঘৈণীয়েই ঘৰ, ঘৈণী নহলে ঘৰ লৰফৰ,—
আৰু ঘৰে পতি ঘৈণী খালে-পতি যখিনী।

ঘৈণীসকলৰ হাততেই যেতিয়া ঘৰখনৰ চাবি-কাঠী, তেওঁলোকে ইচ্ছা কৰিলেহে ইয়াক সুখৰ আলয় বা দুখৰ বন্দীশাল কৰি তুলিব পাৰে। দন্দ-কাজিয়া যি ঘৰত সততে লাগিছে সি ঘৰ আৰু ঘৰ হৈ নাথাকে। কথাতেই কয় বোলে —

ভায়ে ভায়ে দন্দ লাগে, পৰে পায় আশ,
তিৰোতাৰ দন্দ লাগে ঘৰতে প্ৰবাস।

মতাই চপাই-কেঁচাই সকলো বস্তু আনি ঘৰত দিবহি পাৰে, কিন্তু তিৰো-তাই তাক যতাই-পিতাই আৱশ্যকীয় বস্তু তৈয়াৰ কৰি নিদিলে সকলো মিছা। তাকেই কৈছে—

ৰজাৰ দণ্ডিত বনত বাস,
তিৰোতাৰ দণ্ডিত পঁইতাত গ্ৰাস।

তাকেই এইদৰেও কোৱা যায়—

ৰজাৰ দণ্ডিত কটা যায়,
তিৰীৰ দণ্ডিত পঁইতা খায়।

যৰৰ লক্ষ্মীস্বৰূপা এই হেন তিৰোতাৰ মন কেনেকুৱা আৰু তেওঁলোকক কেনে ব্যৱহাৰ কৰিব লাগে পুৰুষমাত্ৰেই জানিবলৈ যত্ন কৰা উচিত। আজিৰ তিৰোতা জীৱনৰ প্ৰায় সকলো কামতেই পুৰুষৰ সমান শাৰীত। আগতে কিন্তু তেনেকুৱা নাছিল। এনে সময়ো আছিল যেতিয়া তিৰোতাক নিৰ্জ্জীৱ পদাৰ্থৰ দৰে জ্ঞান কৰি ব্যক্তিগত সম্পত্তিৰূপে ব্যৱহাৰ কৰা হৈছিল। তেতিয়া বাল্য, যুৱা, বৃদ্ধ—এই তিনিও কালতে নাৰী স্বতন্ত্ৰীয়া হব নোৱাৰিছিল। মাৰ-কিল শোধাই তিৰোতাক সদায় শাসনত ৰাখিলেহে গৃহস্থী ঠিক থাকে, এয়ে আছিল মানুহৰ ধাৰণা। "দাত শিল, তিৰীক কিল, ছলিক চাপৰ,, কুকুৰক বাৰি; তেহে গৃহস্থ কৰ পাৰি।" নতুবা আকৌ—

কটাৰী ধৰাবা শিলে;
তিৰোতা চলাবা কিলে।

অথবা— তিৰীক নামাতিবা মিতে,
বাহ-খৰি নিদিবা চিতে।

এয়ে আছিল গৃহস্থীৰ নীতি। গিৰিয়েকৰ শলাগনি পোৱাটো তিৰোতাৰ কাৰণে আছিল পৰম সৌভাগ্যৰ কথা আৰু ভোলানাথ পুৰুষক স্বামীৰূপে পোৱাটো তেওঁৰ কাৰণে আছিল যেন পূৰ্ব্ব জন্মৰ তপস্যাৰহে ফল।

—পৈয়েকে বুলিলে কাজী;
মন ভাল লাগিছে আজি।
আৰু—লোণে আমলখীয়ে খালোঁ;
কোনোবা জন্মত তপস্যা কৰিছিলোঁ—
ভোলানাথ পুৰুষক পালোঁ।—

এনেবোৰ কাৰণতেই অনেক সময়ত ছোৱালী বিয়া দি উঠি মাক-বাপেকে কৈছিল—"যমে নিলেও নিয়া; জোঁৱায়ে নিলেও নিয়া।"

বান-বাৰিষা যেতিয়া পকৰ্তীয়া ধল নামি আহে, তেতিয়া জানো সি সন্মুখৰ বাধা-বিঘিনিলৈ কিবা ভ্ৰুক্ষেপ কৰে? যৌৱনৰ বান আহিলে নাৰীৰ অন্তৰো ঠিক তেনেকুৱা হয়। অনুৰাগত মতলীয়া হোৱা অন্তৰে তেতিয়া সন্মুখৰ বাধা-বিঘিনি মানি চলিবলৈ টান পায়। উপযুক্ত বয়সত বিয়াৰ কাৰণে ছোৱালীৰ মন ব্যাকুল হৈ পৰে। কিন্তু সংসাৰত সোমালেই

শাহুৱেকৰ কেনে ব্যৱহাৰ পায়—সেই চিন্তাই তেওঁক কিছু বিব্ৰত কৰি তোলে। এফালে [illegible] অতৃপ্ত বাসনাৰ সোণালী সপোন, আৰু আনফালে তেৰেকৈ শাহু-শহুৰৰ কঠোৰ শাসনৰ ভয়—এই দুই ভাবৰ সংঘৰ্ষ সেই সময়ত গাভৰু ছোৱালীৰ মনত কেনেকৈ যে করুণ হৈ ফুটি উঠে! সেই বাবেই [illegible] গোছিল বোলে—

[illegible] বিয়া ;
শাহু-শহুৰৰ [illegible] পেলা[illegible] হিয়া।

বোৱাৰী [illegible] অসন্ত [illegible] সমাজত ন-কথা নহয়। শাহু-শাহুৰৰ কঠোৰ শাসন [illegible] উঠিব পাৰে—এয়ে আমাৰ [illegible]—

[illegible] চাল থাব ;
[illegible] বাৱা।

সদায় [illegible] কেতিয়াবা বোৱাৰী-[illegible]কে যদি [illegible] তাতো তেওঁ হাতেৰে সৰগ চুদি পোৱা [illegible]—

শাহু আইৰ [illegible] থাকে ,
বচাৰকৰ মৰাৰ [illegible] বুলিলে,
সৰগখন [illegible] গলোঁ ।

পণ্ডিতসকলে কৈ গৈছে যে তিৰোতাৰ চৰিত্ৰ আৰু পুৰুষৰ ভাগ্য এই দুটা বিষয় মানুহে নালগে দেৱতাবো নাজানে। যোজোনাবোৰত ঘি পোৱা যায় সি কিন্তু অনেক নাৰীৰ কাৰণে সিমান প্ৰীতিকৰ নহয়। লেনিয়াই কথা [illegible] আৰু [illegible] লেখোৱা তিৰোতাৰ বিষয়ে কোৱা হয় -

তিৰীৰ লেনিওৰা, ৰৰষুণৰ কণিওৰা,
ধৰ ছাই নকৰ মুৰচ ;
এই তিনিৰ সমান নাই কুঁৰচ।
আৰু মাছৰ নানিবা সৰুটা,
তিৰোতাৰ নানিবা বজাৰ লোটা।

সেইদৰে—পুৰুষৰ লঘু লপ্‌লপীয়া ;
নাৰীৰ লঘু ঘৰ-বেৰোৰা ।
তেনেকৈয়ে—ল'ৰা নষ্ট হয় হাটত ;
বোৱাৰী নষ্ট হয় ঘাটত ।

অনেক অসমীয়া যোজোনাই ইয়াকো সূচনা কৰে যে পত্নীয়ে সদায় স্বামীৰ পৰা সুখ-সম্পত্তি প [illegible] লৈহে আকাঙ্ক্ষা কৰে। মাকৰ মৰম আৰু পত্নীৰ মৰমৰ পাৰ্থক্য দেখুৱাই কোৱা হয়- "মাকে চায় মুখলৈ, তিৰোতাই চায় হাতলৈ।"—অৰ্থাৎ বহুত দূৰ ঘুৰি-চাকি যেতিয়া কোনো মানুহ ঘৰ পায়হি তেওঁৰ মুখলৈ চাই মাকে ভাবে বাছাই বৰ কষ্ট পালে, মুখখন তেনেই শুকাই আহিছে। তিৰোতাই হলে কিন্তু স্বামীয়ে তেওঁৰ কাৰণে কি লৈ ঘূৰি আ[illegible] লৈহে ন[illegible]। [illegible] তাক কোৱা হয়—

দুখীয়া হলেই লেতেৰা, ভাৰ্য্যাই নেদেখে হিত ;
বাটত লগ [illegible] মিঠাৰে নেসোধে,
দিব লাগে বুলি কিবা নিত।
আৰু যেতিয়া আহিব কালৰ বেহা ;
পাটীৰ তিৰীও বুলিব পেহা।

সেইদৰেই আকৌ—
লাহতী মৰে লাহত ;
পৈয়েক মৰে ঘুচুৰীয়া কাহত।—ইত্যাদি

"মাছে নিচিনে নৈ ; তিৰোতাই নিচিনে পৈ"—এনে ধৰণৰ যোজোনাই পণ্ডিতসকলে কোৱা—"কবিতা, বনিতা, লতা ; ন তিষ্ঠন্তি বিনাশ্ৰয়া" —কথাৰ সাৰবত্তা প্ৰমাণ কৰে। পতি অবিহনে তিৰোতা যেনে নিৰাশ্ৰয়া, ভাৰ্য্যা অবিহনে স্বামীও স্থানবিশেষে তেনে অনাদৃত হয়। কোনো কোনো ধৰ্ম্মকাৰ্য্যত ভাৰ্য্যা নহলেই নচলে। শ্ৰীৰাম চন্দ্ৰই সীতাৰ অবিহনে সোণৰ সীতা তৈয়াৰ কৰিহে হেনো যজ্ঞ সমাপন কৰিছিল। সেইদৰে সমাজত—

পিতৃ অবিহনে সংসাৰৰ পৰে ভাৰ,
মাতৃ অবিহনে ভোজনৰ ছাৰখাৰ ;
ভ্ৰাতৃ অবিহনে শত্ৰুৱে পাৰে লাই,
ভাৰ্য্যা অবিহনে কুচিত নিদিয়ে ঠাই।

আৰু—হাতৰ লাখুটি বাটৰ সাৰথি, বিপদৰ সাৰথি ভাই;
ভাৰ্য্যা গুৱনী বেইতা তিৰোতা, গোহালি গুৱনী গাই।

সতিনীৰ প্ৰতি সতিনীৰ ঈৰ্ষাও যুগ যুগ ধৰি চলি আহিছে। ধ্ৰুৱৰ আখ্যানৰেপৰা তেজীমলাৰ আখ্যানলৈকে এনে অনেক আখ্যান আছে যিবোৰে মাহীমাকৰ লেৰেলা মৰম আৰু সতিনীৰ ডেই নিয়া ঈৰ্ষাৰ অলেখ উদাহৰণ সমাজক দি আহিছে। গতিকে এই বিষয়ৰ যে ফকৰা-যোজোনাও যথেষ্ট থাকিব তাক সহজে অনুমান কৰা যায়। মাহীমাকৰ মৰম সাধাৰণতে কেনেকুৱা ধৰণৰ হয়, তাকে দেখুৱাবলৈ কোৱা হয়—

ফিনো কম মাহী আইৰ গুণ;
খোজো খাৰলি—দিয়েহি লোণ।
আৰু—সমান সতিনীৰ পো;
ঘুমটি নাহে চকুত লো।- ইত্যাদি

সতিনীৰ কথা কবলৈ হলেই বহুপত্নী বিবাহৰ কথা ওলাই পৰে। ঘৰৰ কাম-কাজৰ সুচলৰ কাৰণেই একাধিক পত্নী বিবাহ সমাজে সমৰ্থন কৰিছিল। আনকি নিজৰ স্বামীলৈ আৰু এগৰাকী তিৰোতা বিয়া কৰাই আনি সতিনী খাটিবলৈও অনেক তিৰোতাই হাবিয়াহ কৰিছিল আৰু আজিও তাকে কৰে। দন্দ্ব কৰিবলৈ হলেও সতিনী লাগে—এয়ে তেওঁলোকৰ যুক্তি। সপত্নীসকলৰ ভিতৰতো পতিৰ লাগী হবলৈ সকলোটিয়ে যত্ন কৰে; কিয়নো সতিনী খাটি পতিৰ লাগী হৈ লব পাৰিলে বাকী সতিনীসকল তেওঁৰ দাসীৰ দৰে হৈ পৰে। সেই কাৰণেই চালাক আৰু যুঁজাৰু প্ৰকৃতিৰ তিৰোতাই সতিনী খাটিবলৈ বৰং ইচ্ছাহে কৰে—

লাটিম বৰুৱাক খাটিম,
লাগে তিনি কড়া ভৰিম,
তেও সতিনী খাটিম।

লাগী তিৰোতাই সতিনীসকলৰ ওপৰতহে প্ৰভুত্ব চলায়. এনে নহয়; স্বামীকো তেওঁ হাতৰ মুঠিত ৰাখিবলৈ সমৰ্থ হয়। তেওঁ বেয়া কৰিলেও সেয়ে স্বামীৰ মানত ভাল; তেওঁ দোষ কৰিলেও স্বামীয়ে সেই দোষ নেদেখে। সেয়েহে যোজোনাত কয়—

লাগী তিৰোতাই শিতানত কাহে;
পৈয়েকে বোলে মোৰ অমৃত যেন লাগে।

অথবা— লাগীয়ে ভাঙিলে কাঁহী;
মিচিকি থলে হাঁহি।
এলাগীয়ে ভাঙিলে কঁতৰা;
গড়গাঁও পালেগৈ বতৰা।

আৰু— সতিনী ৰহীয়া পৈ;
এবাৰ হুচুৰায়, এবাৰ ফন্দুৰায়,
পথালি কোলাত লৈ। ইত্যাদি

বহু পত্নী বিবাহ সমাজত সদায় গৃহীত নীতি হৈ আহিছে যদিও এক-স্ত্ৰী বিবাহকেই প্ৰশস্ত বুলি যোজোনা-কঁকৰাই ইঙ্গিত দিয়ে। চট্টগ্ৰামত প্ৰচলিত এটা যোজোনামতে—

দুগছেৰে ছেপি ধৰা বাঁহৰ যি গতি;
দ্বিপত্নীক জন-ভাগ্য জানিবা তেমতি।

আমাৰ অসমীয়াত কোৱা হয়—

এক তিৰোৱা লোদোৰ-পোদোৰ,
দুই তিৰোৱা গাতৰ ইন্দুৰ;
তিনি তিৰোৱাই নাপায় ভাত;
চাৰি তিৰোৱাৰ মূৰত হাত।

'জীটি লোকৰ, পোটিহে বুকৰ'—বুলি বুঢ়াবুঢ়ীসকলে এটা কথা কয়। সেই ধাৰণাকে লৈ নেকি গাভৰু-ভূঁয়ে বিয়া কৰাই নিয়া তিৰোতাক পুত্ৰৰ মাক নোহোৱালৈকে ভাগ্যৱতী বুলি জ্ঞান কৰা নহয়। গতিকে পুত্ৰৱতী হবলৈ বিবাহিতা তিৰোতাৰ অন্তৰত প্ৰবল হেঁপাহ। পুত্ৰ লাভ হলে বংশ ৰক্ষা হয় আৰু পূৰ্ব্ব-পুৰুষসকলে পিণ্ড পায়। পুং নামে নৰকৰপৰা পুত্ৰই হেনো পিতৃ-মাতৃক ৰক্ষা কৰে। গতিকে পুত্ৰমুখ দৰ্শন পিতৃ মাতৃৰ আনন্দ আৰু আগ্ৰহৰ কথা। তাকেই যোজোনাত কোৱা হয়—

কত ভাগ্যে (কত জন্মৰ মূৰত) পুত্ৰৱতী নাৰী;
কত ভাগ্যে (কত জন্মৰ মূৰত) তামোল-পাণৰ বাৰী।

কত ভাগ্যে (কত জন্মৰ মূৰত) পৰক পৰে বায়;
কত ভাগ্যে (কত জন্মৰ মূৰত) ভাতক ভাতে খায়।

ডাকৰ বচনত আকৌ তিৰোতাৰ সম্বন্ধে ভালকৈয়ে নিৰ্দ্দেশ দিয়া আছে, যেনে—

স্বামীৰ মনক সদা বুজিব;
স্বামীৰ মন বুজি আচৰিব।

আৰু, সতী নাৰীৰ কাৰ্য্য হব লাগে—

আপোন স্বামীত সদায় মন;
স্বামীক দেখে যেন নাৰায়ণ।
স্বামী যদি খায়, কৰে আহাৰ;
স্বামী নাখাইলে ভুঞ্জে নিকাৰ।
নিতৌ স্বামীৰ সেৱে চৰণ;
বোলয় ডাকে সতীৰ লক্ষণ।

ৰন্ধনত তিৰোতা কেনে হব লাগে?—

যি নাৰী ৰন্ধন শালাক যায়;
মিষ্ট কৰি পাক কৰে সদায়।
নাহি মাতবোল নকৰে দ্বন্দ;
খাই তোলাইলেও নোবোলে মন্দ।
সিটো গৃহস্থৰ বঢ়ায় শ্ৰী;
বোলয় সেহি লক্ষ্মী স্ত্ৰী।

ঘৰখন চলোৱা তিৰোতাৰ মুখ্য কৰ্ত্তব্য। তেওঁ সদায় আয় চাই ব্যয় কৰি চলিব লাগে

গৃহিণী হুইয়া বোলয় কঠোৰ;
আয় নাচাই ব্যয় কৰে প্ৰচুৰ।
ডাকে বোলে সেই কুলক্ষণী নাৰী;
ঘৰ চলাইবে কভু নাপাৰি।

পৰিত্যাগ কৰিবলগীয়া তিৰোতাৰ লক্ষণ ডাকে এইদৰে দিছে—

একগুণ বোলোতে দ্বিগুণ বোলে;
স্বামীৰ শয্যা পাৰেৰে ঠেলে।

যি স্ত্ৰী প্ৰভাতে নিদ্ৰা যায়;
বাহী শয্যাত সূৰ্য্যে পায়।
উদয় কালত নিলিপে ঘৰ;
ডাকে বোলে তাইক চাৰিও নৰ।

এইদৰে যোজোনা-ফকৰা, ডাকৰ বচন আদিয়ে নাৰী-চৰিত্ৰৰ গুণ-দোষবোৰ নিৰূপণ কৰি থৈছে আৰু এইবোৰৰ সহায়ত অসমীয়া গাঁৱলীয়া সমাজ আজিলৈও বহু পৰিমাণে পৰিচালিত হৈ আহিছে।

বৰ্ত্তিয়া,

১৯৫১

জনসংখ্যা সমস্যা

সসাগৰা পৃথিবীৰ ভূভাগৰ পৰিমাণ প্ৰায় ছয় কোটি বৰ্গমাইল (৫৭,৫১০,০০০ বৰ্গমাইল)। ইয়াৰ অনেক অংশ পাহাৰ-পৰ্ব্বত, হাবি-জঙ্ঘল, মৰুভূমি-তৰুভূমি আদিয়ে আগুৰি আছে। ল'ৰা-তিৰোতা, ডেকা-বুঢ়া, কেঁচুৱা-আদহীয়া আদি সকলোকে ধৰি লৈ সমগ্ৰ দুনিয়াৰ জনসংখ্যা হ'ল মুঠতে দুশ কুৰি কোটি। আকৌ সকলো মানুহ নতুবা সকলো দেশৰ মানুহ সমান ওখ নহয়। দীঘল চুটি, খোৰা-টেপেৰা আদি সকলো মানুহৰ উচ্চতাৰ গড উলিয়ালে চাৰি ফুটৰ বেছি ওখ নহব।

এদিন যম ৰজাই কিবা কাৰণত চিত্ৰগুপ্তক কলে, "চিত্ৰগুপ্ত, সৃষ্টিকৰ্ত্তা ব্ৰহ্মাৰ একো কাম-কাজ নোহোৱা হৈছে। তাহানি তেওঁ এবাৰ মানুহক যি মতা-তিৰোতা এই দুই ভাগত ভগাই সৃষ্টি কৰিলে তেতিয়াৰে পৰা গতানুগতিক গতিত মানুহ জন্মিবই লাগিছে-মৰিবই লাগিছে। মানুহৰ সংখ্যা ক্ৰমাৎ বাঢ়ি আহি আজি সমগ্ৰ পৃথিবী আগুৰি পেলাইছে। পুৰুষ আৰু নাৰী—এই এহাল জীৱৰ পৰাই, মই দেখিছোঁ এতিয়া গোটেইখন জগৎ মানুহেৰে ভৰি পৰিল। হাবি জঙ্ঘল পৰ্ব্বত-পাহাৰ, আকাশ-বতাহ, জল-স্থল—সকলো ঠাই মানুহে ছানি পেলালে। অন্য জন্তু-জন্তুৰ থাকিবলৈ ঠাই নাইকিয়া হৈ আহিল। মই এই মানুহবোৰ মাৰি আনি অন্ত কৰিব নোৱাৰা হলোঁ। তাতে আকৌ ধন্বন্তৰিৰ বংশধৰ ডাক্তৰ-কবিৰাজবোৰ ওলাই মাৰি-মৰকো নাইকিয়া কৰিব ধৰিছে। মোৰ দূতে গৈ অনেক সময়ত একো একোজন লোকৰ জীৱ আনিবলৈয়ে ডাক্তৰ-কবিৰাজৰ লগত দস্তুৰমতে একোখন গ্ৰাহ-গজেন্দ্ৰৰ ৰণ কৰিব লগীয়া হয়। সেই গতিকে মই এতিয়া পৃথিৱীৰ তথাকথিত বৰলোকসকলক পাৰিলে অতৰ্কিতে পুটুংকৈ জীৱ-চাকিটো নুমাই দি হৃৎপিণ্ড বন্ধ কৰি ডাক্তৰ কবিৰাজসকলৰ চকুত ধূলি মাৰিহে আনো। কিন্তু সদা-সৰ্ব্বদা এইদৰে কিমান ছেগ চাই চাই চোৰৰ দৰে কাম কৰিবা ? তুমি এটা কাম কৰাঃ ঠাই এডোখৰ বাছি

বিচাৰি ঠিক কৰা ; এদিনৰ ভিতৰতেই সমগ্ৰ জগতৰ মানুহ মাৰি আনি তাতে কবৰ দিয়া যাওক। তাকে কৰোঁতে আমাৰ কষ্ট অৱশ্যে বহুত হব—হওক তথাপি, এদিনতে হব। তাৰ পিছত কিন্তু ব্ৰহ্মাই আকৌ সৃষ্টি আৰম্ভ কৰিব লাগিব আৰু সৃষ্টি পুনঃ বৃদ্ধি পায়মানে আমাৰ জিৰণিৰ কাৰণেও ইতিমধ্যে কিছু সময় ওলাব। এইদৰে একোটা কামৰ দ্বাৰা কৰ্ম্ম-ৰত আমালোকৰ জিৰণিৰ আহৰি আৰু নিষ্কৰ্ম্মা সৃষ্টিকৰ্ত্তা ব্ৰহ্মাৰ কাম দুযোটা ওলাব।"

চিত্ৰগুপ্তই কথাটো উত্তম যেন বুজিলে। তেওঁ তত্‌ক্ষণাৎ নিজে কবৰ খান্দিবৰ কাৰণে মাটিৰ পৰিমাপ কৰাত লাগি গ'ল। কিছুকাল গুণি-গণি চাই হিচাপটো অলপ গোলমলীয়া যেন পাই তেওঁ তাহানিৰ টোডৰমল, হৃপকিঞ্চন, বগল আদি জৰীপত পাকৈত লোকসকলৰ ভূঁইবোৰকো 'চমন' কৰি আনি মাটি জোখ-মাখ কৰিবলৈ লগাই দিলে। দুয়ো ফালৰ পৰা হিচাপত ঠিক হ'ল যে বেছি নালাগে, আধা মাইল মাটি হলেই হব। সেইমতে যম ৰজাক বাতৰি দিয়া হল।

যম ৰজাই শুনি আচৰিত হ'ল। তেওঁ পোনেই কলে, "আধামাইল মাটিত পৃথিবীৰ দুশ কুৰি কোটি মানুহ কিদৰে কবৰ দিয়া যাব ? অসম্ভৱ কথা। হিচাপত নিশ্চয় কিবা ভুল হৈছে।" চিত্ৰগুপ্তই উথা-মুথাকৈ হিচাপ কৰি ভুল কৰিছে।" এই ভাবি তেওঁ তত্‌ক্ষণাৎ চিত্ৰগুপ্তক মাতি পঠালে। চিত্ৰগুপ্ত আহিল আৰু কলে, "মহাৰাজ, চাওক, দীঘলে আধা মাইল আৰু পুতলে আধা মাইল আৰু গভীৰত্বৰ ফালেদিও আধা মাইল এই পৰিমাপৰ গাতটো হলে তাত হব প্ৰায় ওঠৰশ চল্লিশ কোটি নিযুত (১৮,৩৯,৯৭, ৪৪,০০ ঘনফুট)। প্ৰত্যেক মানুহক গাড়িবলৈ লাগিব ৪ ফুট দীঘল, ২ ফুট পুতল আৰু এক ফুট দ—৮ ঘনফুটকৈ। তেতিয়া হলে ২৩০ কোটি লোকক সহজে তাত কবৰ দিব পৰা হব। আমাৰ পৃথিবীৰ লোকসংখ্যা দুশ-কুৰি-কি বাইচ কোটিহে হৈছে এতিয়া। গতিকে ওপৰত এক তৰপ মাটি দিলেও সহজে আধা ঘন-মাইলতেই সকলো ঠিকঠাক হব। মহাৰাজ, হিচাপত ভুল নাই। এতিয়া কেৱল সকলোকে কিদৰে একে সময়তে মাৰি অনা যায় তাকেহে ভাবক।"

যম ৰজাই হিচাপ পৰীক্ষা কৰি চাই ঠিকেই পালে। তেওঁ মুখত আঙুলি দি আগ-পাছ সকলো গমি চালে।

এইদৰে থাকোঁতেই বিষ্ণু আৰু সদাশিৱ ওলালহি। যমে তেওঁসকলক বহিবলৈ আসন দি পাদ্যে অৰ্ঘ্যে পূজা-অভ্যৰ্থনা কৰিলে। তাৰ পিছত তেওঁ নিজৰ সমস্যাটো কলে। ভাং খাই উঠি যোৱা জটীয়া ভাঙৰীয়ে কথা শুনি পোনেই চকু ৰঙাকৈ চাই ক'লে—"যম, সংযত হৈ কথা কবা। সংহাৰ তোমাৰ কাম নহয়। সি মোৰ দায়িত্ব; মোৰ কৰায়ত্ত কাম। সংহাৰৰ গৰাকী তুমি নোহোৱা—মই। তুমি মাত্ৰ সেই কামত মোৰ আজ্ঞাবহ ভৃত্য। তুমি অনাহক চৰ্চা কৰি মোৰ কামত হেতা-ওপৰা কৰিবলৈ আহিলে বিপদ আছে।"

কিছু পৰ নীৰৱে থাকি যমে কলে—"প্ৰভু, মইতো আপোনাৰ আজ্ঞাধীন ভৃত্যই। পিছে ভৃত্যয়ো জানো প্ৰভুক আৱশ্যকমতে গিৰিহতৰ মঙ্গলৰ কাৰণে কথা নকয়? ময়ো তাকেহে কৰিছোঁ। আপুনি শ্মশানত ধ্যান কৰি থাকোঁতে অথবা ভাঙৰ চিলিম আৰু ভাঙৰ লাড়ু খাই নিচাত থাকোঁতে ইপিনে মানুহৰ সংখ্যা বাঢ়ি গৈ গৈ গোটেইখন সংসাৰ ভৰি পৰিল। ইফালে ভগৱান বিষ্ণুৰ অনুগ্ৰহ পাই ধন্বন্তৰীৰ বংশধৰসকলে তোমাৰ দূতবোৰক কোনো প্ৰাণীৰে ওচৰলৈ যাব দিব নোখোজে। এই সমস্যা জানো আপোনাৰ সমস্যা নহয় প্ৰভু?"

তেতিয়া বিষ্ণুৱে কলে, 'যমৰাজ, তুমি বাৰু এই সমস্যাৰ কথা এতিয়া নাভাবিলেও হব। মই মিষ্টাৰ মালথুচক এই কামত আগেয়ে লগাইছিলোঁ। তেওঁ পৃথিবীৰ শস্য আৰু জনসংখ্যা সম্বন্ধে হিচাপ কৰি সকলো খবৰ মোৰ ওচৰত দাখিল কৰিছে। জুলিয়ান হাক্সলি, ৰাছেল আদিয়েও জনসংখ্যা বৃদ্ধি কেনেকৈ কমোৱা যাব—সেই বিষয়ে চিন্তা কৰিব লাগিছে। ভাৰতৰ প্ৰধান মন্ত্ৰী জৱাহৰলালকো মই কৈছোঁ। তেওঁ সেই বিষয়ে চিন্তা কৰি মাজে সময়ে দুই-এক্কোটা হুংকাৰ দিব ধৰিছে। পৰিয়াল নিয়ন্ত্ৰণৰ বিষয়ে তেওঁ এতিয়া সুবিধা পালেই বক্তৃতা দিয়ে। পিছে তেওঁ হ'ল ৰাজনীতিজ্ঞ লোক। সেই কাৰণে তেওঁৰ পাণ্ডিত্য আৰু সাহস অনেক সময়ত জনমতে—পুখুৰীৰ পানীক পুণীয়ে ঢকাৰ দৰে ঢাকিবলৈ চায়। তথাপি তেওঁ পাঁচ বছৰীয়া আঁচনিত বৰলা বল দি কিছু ভাগৰিলে এই সমস্যা নিশ্চয় ভালকৈ হাতত লব। তুমি চাই থাকাচোন। অনৰ্থক চিন্তা কৰি চকুৰ টোপনি নোহোৱা হব নালাগে।" ইয়াকে কৈ গুৱা-পাণ খাই জটীয়া ভাঙৰী আৰু বিষ্ণু দুয়ো দেৱতা উঠিল।

যমে চিত্ৰগুপ্তৰ ফালে চাই কলে—"বুজিছা গুপ্ত, আজিকালি চাকৰি কৰা টান হৈ আহিল। গৱাকীসকলে সদায় ভাবে, তেওঁলোকেহে সকলো জানে আৰু সকলো বিষয়ে চিন্তা কৰে। জগৎখনৰ কাৰণে অন্য কোনেও নাভাবে, নিচিন্তে আৰু একো নকৰে—এয়ে তেৰাসকলৰ ধাৰণা ; নহলে বাৰু চোৱা, আগৰ দৰে হাজাৰে হাজাৰে মানুহ এতিয়া জানো আমি মাৰি আনিব পাৰো ? আগে য'ত মৰণৰ সংখ্যা এশ আছিল, আজি তাত দহ-পোন্ধৰৰ বেছি আমি নাপাওঁ। কৰবাত যদি বেমাৰতো মানুহ এটা মৰে তেওঁ—এক শ্ৰেণীৰ মানুহ গুলাই দেশত হাহাকাৰ তুলি দিয়ে বোলে অনা-হাৰত মানুহ মৰি খাস্তাং হল, মহামাৰিয়ে দেশ উচ্ছন কৰিলে, হাইজা বেমাৰে গাঁও-ভূঁই ধুই নিলে, ভূঁইকঁপে মানুহৰ মাজত ধ্বংসলীলা খেলিলে, ধুমুহাই দেশ উপাং কৰিলে, বানপানীৰ গ্ৰাসত গাঁওকে গাঁও উচ্ছন হ'ল ইত্যাদি ধ্বানৰ আৱাজত কাণৰ কণা-মাকবি সৰে। বাতৰি কাকতৰ পিঠিত উঠি এইবোৰ চিত্ৰ-ধাখৰৰ খলকনিয়ে সমাজত ঘোৰ চাঞ্চল্যৰ সৃষ্টি কৰে। আজিৰ সমাজে পাৰিলে মৃত্যু-দূতক তেওঁলোকৰ নগৰ-চহৰ, গাঁও ভূঁই আদিৰ চাৰিসীমাৰ ওচৰলৈকে যাব দিব নোখোজে। এফালে এনেকুৱা মৰণ-নিষেধ, অন্যফালে অবাধ জন্ম বৃদ্ধি—এয়ে যেন আজি সকলোৰে সমূহীয়া প্ৰচেষ্টা। দেখা যাওক এই বিৰাট বিভ্ৰমৰ মগ্নত সংসাৰ আৰু কিমান দিন স্বকলমে চলে ! আৰু বুজিছা চিত্ৰগুপ্ত ! আমাৰ প্ৰভুসকলেও কিন্তু মোৰ বোধেৰে নিজ নিজ জনপ্ৰিয়তা বজায় ৰাখিবলৈহে সততে সচেষ্ট থাকে, লোকনিবন্ধৰৰ চিৰন্তন হিত-কামনা তেওঁলোকৰ সাধনা নহয়।"

চিত্ৰগুপ্তই কলে "মহাৰাজ, আমাৰ নো কি ? মই হিচাপ ৰাখিব লাগে, হিচাপ ৰাখিম আৰু যাৰ যাৰ আয়ুস যেতিয়া শেষ হয় তেওঁ-লোকক পৃথিৱীৰপৰা ধৰি আনিবলৈ দূত পঠাবৰ কাৰণে কাকত পত্ৰ আপোনাৰ ওচৰত পেচ কৰিম। আপুনি হুকুম দিব। খতম !"

মৃত্যুৰাজ যমে তেতিয়া কলে, "চিত্ৰগুপ্ত, তাকে কৰিলেই কিন্তু আমাৰ কৰ্ত্তব্য কৰা নহব। আমি তলতীয়া চাকৰিয়ালে গিৰিহঁতক আউসী-একা-দশীৰ কথা সোঁৱৰাই দিম ; তেৰাসকলে পালে পালক, নাপালে যদি নাই। গতিকে তুমি ভালকৈ চাই-চিন্তি—লাগিলে পৃথিবীলৈ গৈ পুথি-ভঁড়ালবোৰত

গুপ্তভাৱে কাকত-পত্ৰ পঢ়ি শুনি এখন ইস্তাহাৰ বাহিৰ কৰা। তাত জন্ম-মৃত্যুৰ সমস্যাটো দেখুৱাবলৈ যত্ন কৰিবা।"

যমৰ আদেশ পাই চিত্ৰগুপ্ত কামত লাগি গ'ল; আৰু সঁচাসঁচিকৈয়ে এখন ইস্তাহাৰো বাহিৰ কৰিলে। তাৰেই সাৰমৰ্ম্ম অহকাণে পহকাণে বাগৰি আহি পৃথিৱীতো অলপ-অচৰপ ওলাল। তাকেই জুকিয়ালে এনেকুৱা হব—তাহানি প্ৰাচ্যৰ পণ্ডিতে শ্লোকত কৈছিল বোলে—

যাবৎ কণ্ঠাগতাঃ প্ৰাণাঃ যাবন্নাস্তি নিৰিন্দ্ৰিয়ং,
তাবচ্চিকিৎসা কৰ্ত্তব্যা—কালস্য কুটিলা গতিঃ।

অৰ্থাৎ প্ৰাণবায়ু উৰি যাওঁ উৰি যাওঁ হোৱালৈকে আৰু ইন্দ্ৰিয়বোৰ তেনেই নিষ্ক্ৰিয় হৈ নপৰালৈকে মানুহে চিকিৎসা কৰাই চাব লাগে—কাৰণ কালৰ গতি অতিশয় কুটিল। কেটিয়াবা পেটুফুটাও তৰে আৰু আঁঠুৰ ছালযোৱাও মৰে। তাকেই ডাক পুৰুষে কৈছে বোলে—'নুবুৰে মানে বাবা, নমৰে মানে চাবা।'

(২)

এইদৰে চাওঁতে চাওঁতে, মৰণৰ হাত এৰাবলৈ মানুহে যত্ন কৰোঁতে কৰোঁতে এতিয়া পৃথিবীত মৃত্যু-সংখ্যা ক্ৰমাৎ আচৰিতভাৱে কমি আহিছে আৰু জনসংখ্যা হলে উলাহেৰে বাঢ়ি আহিব লাগিছে। আগৰ দিনত দেশত মাৰি-মৰক হৈ নতুবা যুঁজ-বাগৰ লাগি হাজাৰে-হাজাৰে মানুহ মৰিছিল। আন নালাগে আজি যি ইংলণ্ডত মৃত্যুৰ হাৰ অতি নগণ্য—সেই ইংলণ্ডত চতুৰ্দ্দশ শতিকাৰ মাজ ভাগত হোৱা এটা মহামাৰিতে গোটেই দেশখনৰ এক-তৃতীয়াংশৰ বেছি লোক মৃত্যুৰ গ্ৰাসত পৰিছিল। বুৰঞ্জীয়ে কয়—"Pestilence after pestilence ravaged the land and then in 1348-49 came the awful epidemic called the Black Death, which in a single year swept away more than a third of the entire population, and which reappeared in 1362, 1367 & 1370."—*W. H. Hudson.* এই মহামাৰি এবাৰেই নহয়, অৰ্দ্ধ শতাব্দীৰ ভিতৰতে তিনিবাৰ হৈছিল।

ভাৰতত এনেকুৱা কিমান মহামাৰি যে আগেয়ে হৈছিল তাৰ হিচাপ নাই। সিদিনা অসমতো ক’লা-আজাৰত হাজাৰে হাজাৰে মানুহ কিদৰে পৰলোকী হ’ল তাৰ করুণ স্মৃতি গাঁৱৰ বুঢ়া-মেথা মানুহৰ মনত আজিও সজীৱ হৈ আছে। এইদৰে মৃত্যু-সংখ্যা বেছি আছিল কাৰণে জন্ম-নিৰোধ মানুহৰ মনত পাপ বুলিয়েই পৰিগণিত হৈছিল, কাৰণ সেয়ে নহলে দেশ উছন হব। সেই কাৰণে হিন্দু শাস্ত্ৰকাৰসকলে উচ্চকণ্ঠে প্ৰচাৰ কৰিছিল যে পুত্ৰ অবিহনে কোনেও মানুহক ‘পুং’ নামে নৰককৰপৰা উদ্ধাৰ কৰিব নোৱাৰে। অৰ্থাৎ ম’নুহে জন্মলাভ কৰি জীযাই থাকি উপযুক্ত বয়সত বিয়া কৰাই পুত্ৰোৎপাদন নকৰিলে সি নিজেতো পৰজন্মত পুং নামৰ নৰকত পৰেই — পিতৃ-পিতামহসকলকো তালৈ টানি নিয়ে। গতিকে “পুত্ৰাৰ্থে ক্ৰিয়তে ভাৰ্য্যা পুত্ৰপিণ্ডঃ প্ৰয়োজনম্”—তেৰাসকলৰ উপদেশ। গতিকে গৰ্ভাধান, পুংস্ৰবণ আদিৰ অনুষ্ঠান।

ইফালে আকৌ পুত্ৰোৎপাদন হলেই মানুহ বিৰত থাকে বুলি ভাবি তেৰাসকলে বিধান দিলে—“দশ পুত্ৰাঃ সম কন্যা!” অৰ্থাৎ এজনী কন্যা জন্মিলে—দহোটা পুত্ৰ জন্মাৰ দৰে হয়। কন্যাদানৰ দৰে পুণ্যৰ কাম নাই। এনে কৰোঁতেও যদি কেতিয়াবা একে কুলত যথেষ্ট বিবাহযোগ্য নাৰী নাথাকে—তেন্তে অসুবিধা ঘটিব পাৰে বুলি বিধি দিয়া হ’ল—“স্ত্ৰীৰত্নং দুষ্কুলাদপি!” অৰ্থাৎ নীচ কুলৰ পৰাও পত্নী গ্ৰহণ কৰা যায়; অৰ্থাৎ তিৰোতাত চুৱা নাই।

বাইবেলতো ভগৱানে মানুহক সৃষ্টি কৰি উপদেশ দিলে, “তুমি পৃথিৱীলৈ গৈ তোমাৰ পো-পৰিয়াল বৃদ্ধি কৰাগৈ”। (Go and multiply thyself) সেইবাবে Old Testamentত ডাঙৰ পৰিয়ালক ভগৱানৰ আশীষ বুলি গ্ৰহণ কৰা হৈছিল। জন্ম-নিৰোধ খ্ৰীষ্টান ধৰ্ম্মতো সৰ্ব্ববাদী সন্মত বিধি নহয়। কিন্তু হলেও পশ্চিমৰ দেশবোৰতেই ইয়াৰ প্ৰচলন আজি বেছি।

পুৰণি অসমীয়া সমাজতো ডাঙৰ পৰিয়াল এটা কাম্য বস্তু। কথাতে কয়—“সাত ভাই যাৰ, কুঁহিয়াৰৰ খেতি তাৰ!” আৰু “জাককুৱাৰ নাও বামেৰেও যায়।”

আজিৰ জগতত ৰোগ-ব্যাধি আৰু মৃত্যুৰ বিৰুদ্ধে সংঘবদ্ধভাৱে সকলোৱে যুঁজ আৰম্ভ কৰিছে। ফলত মৃত্যুৰ হাৰ কমি গৈছে আৰু জন্ম-

হাৰ বাঢ়িছে। যৈ থকা নদীৰ পানীক ভাটীত বান্ধ দি উজানত তাৰ পানীৰ প্ৰবাহ সেই অনুপাতে কম কৰি দিবলৈ ব্যৱস্থা নকৰিলে সি জলৰ প্লাৱন সৃষ্টি কৰি প্ৰলয়ৰ সূচনা কৰিবই। জৈৱিক সোঁতবো সেই একে কথা। জন্ম-নিৰোধ নতুবা জন্ম-নিয়ন্ত্ৰণৰ ব্যৱস্থা নকৰি মৃত্যু-নিবাৰণৰ কামত যত্নপৰ হলে পৃথিৱীত নৰ-প্লাৱন অনিবাৰ্য্য। এই ক্ৰমবৰ্দ্ধমান জনসংখ্যাই আজি পৃথিৱীৰ এটা বিৰাট সমস্যাৰ সৃষ্টি কৰিছে।

পাশ্চাত্য জগতে আজি যদি কিহবাত বেছি উন্নতি কৰিছে—তেন্তে কবই লাগিব যে ৰোগ আৰু অকাল-মৃত্যু নিবাৰণ, শিক্ষাৰ সম্যক প্ৰচাৰ সাধন আৰু দৰিদ্ৰতা দূৰীকৰণতেই তেওঁলোকে বেছি সুখ্যাতিৰে আগ বাঢ়িব লাগিছে। এচিয়াৰ দেশবোৰতো এইবোৰৰ উন্নতি হব ধৰিছে সঁচা; কিন্তু পাশ্চাত্যৰ দেশবোৰত হোৱাৰ দৰে হোৱা নাই আৰু বৰ্ত্তমান পৰিস্থিতিত হবও নোৱাৰে। জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰিবলৈ প্ৰাচ্যতে চেষ্টা চলিছে—পাশ্চাত্যৰ দেশবোৰৰ দৰেই; কিন্তু উন্নতিয়ে আশানুৰূপে সম্ভৱ হোৱা নাই। কিয়? তাৰ যাই কাৰণ ক্ৰমবৰ্দ্ধমান জনসংখ্যা। জীৱন-ধাৰণৰ মান বাঢি আহিবলৈ আৰম্ভ কৰিলেও আকৌ জনসংখ্যা ইমান-বেছিকৈ বাঢে যে সি আকৌ তললৈ নামি যাবলৈ বাধ্য হয়।

মনীষী বাৰ্ট্ৰেণ্ড ৰাছেলে এঠাইত এইদৰে কৈছে—"Every increase in production, instead of increasing the standard of life, is quickly swallowed up by an incrase in population. Eastern populations do not know how to prevent this and Western bigots prevent those who understand the problem from spreading the necessary information. What is bad in the West is easily spread—our restlessness' our militarism, our fanaticism and our ruthless belief in mechanism. But what is best in the West, the spirit of free enquiry, the understanding of the condition of general prosperity, and the emancipation from superstition—these things, powerful forces in the West, prevent the East from acquiring. So long as this continues, Eastern population, will remain on

the verge of destitution, and in proportion as they will become destructive through envy."

অকল খেতিৰ উন্নতি আৰু অধিক শস্য উৎপাদনৰ কাৰণে উৎকট চেষ্টা চলালেও নহয় – কাৰণ শস্যৰ উৎপাদন বঢ়াৰ লগে লগে যদি জনসংখ্যাও অতিপাত বাঢ়ি গৈ থাকে তেনেহলে উৎপাদনে জনসংখ্যা বৃদ্ধিৰ লগত কোনোমতে ফেৰ মাৰিব নোৱাৰিব। ফলত হব দেশত দুৰ্ভিক্ষ আৰু মানুহৰ অৱস্থাৰ ক্ৰমাৎ অৱনতি। তেতিয়া মানুহ অসন্তুষ্ট আৰু বিদ্ৰোহী হৈ উঠা স্বাভাৱিক কথা। সামাজিক বিদ্ৰোহৰ—সেই বাবেই জনসংখ্যাৰ অপৰিমিত বৃদ্ধি এটা মূলীভূত কাৰণ।

গছৰ গুটি সৰি তললৈ অনেক পুলি গজে। তাৰ ২/৪ টাহে বাচি থাকে, বাকীবোৰ মৰি মৰহি যায়। মানুহৰ সৃষ্টি আৰু বৃদ্ধি সম্পৰ্কেও মানুহৰ ধাৰণা সেই দিনত তেনেকুৱাই আছিল। অৰ্থাৎ প্ৰকৃতিক এই বিষয়ে সম্পূৰ্ণ স্বাধীনতা দিয়া হৈছিল। কিন্তু বিজ্ঞান উন্নত হৈ অহাৰ লগে লগে মৰি বা মৰহি যোৱাটো বন্ধ কৰিবলৈ লোৱা হ'ল। অৰ্থাৎ মানুহ জন্মিলে জীয়াই ৰাখিবলৈ লগা এটো হ'ল মানুহৰ বিজ্ঞান-সম্মত চেষ্টা। ফলত মৃত্যু-নিৰোধ আৰু জন্ম-বৃদ্ধি—এয়ে হ'ল প্ৰাচ্য জগতৰ নৱসমাজৰ নীতি। এই নীতিৰ স্বাভাৱিক পৰিণতি হৈছে মানুহৰ অৱস্থাৰ শোচনীয় অৱনতি।

মানৱ সমাজৰ আদিম অৱস্থাৰপৰা'ই মানুহে জীৱন ধাৰণৰ কাৰণে প্ৰকৃতিৰ লগত যুঁজি আহিছে। খাদ্য সমস্যাই তেওঁলোকৰ ঘাই সমস্যা। এই সমস্যা সমাধানৰ কাৰণে মানুহে প্ৰথমে হাবিয়ে-বননিয়ে চিকাৰ কৰি ফুৰিব লগা হৈছিল। তাৰ পিছত আৱশ্যক মতে পশু পালন কৰিবলৈ শিকিলে। তাৰ পিছত আহিল কৃষি আৰু কৃষিৰো পিছত দেখা দিলে শিল্প বিপ্লৱ (Industrial Revolution)।

জলিয়ান হাক্সলিৰ মতে খৃষ্ট পূঃ ৮০০০ বছৰতে পৃথিৱীত কৃষিৰ আবিষ্কাৰ হৈছিল। তেতিয়া পৃথিৱীৰ লোকসংখ্যা আছিল এক কোটি। তেওঁৰ হিচাপ-মতে খৃঃ পূঃ ৮০০০ বছৰত পৃথিৱীৰ লোকসংখ্যা আছিল ১ কোটি, খৃঃ পূঃ ৫০০০ বছৰত আছিল ২ কোটি, খৃষ্টাব্দ ৪০০ত ২০ কোটি, খৃষ্টাব্দ ১৬৫০ চনত ৫৪ কোটি আৰু ১৯৫০ চনত ২২০ কোটি।

হিচাপ কৰি দেখা গৈছে যে পৃথিৱীৰ লোকসংখ্যা শতকৰা বছৰি ১.১৬ কৈ বাঢ়িছে, অৰ্থাৎ প্ৰত্যেক এশটা মানুহৰ ভিতৰত বছৰি প্ৰায় দুটাকৈ মানুহ বাঢ়িছে। অৰ্থাৎ দৈনিক পৃথিৱীত ৭০,০০০ টাকৈ (জুলিয়ান হাক্সলিৰ মতে ৬০,০০০ টাকৈ) মানুহ পৃথিৱীত বাঢ়িব লাগিছে। অৰ্থাৎ একো একো দিনতে একোখন ভাল ডাঙৰ নগৰৰ লোকসংখ্যা উপজিব লাগিছে। তাকেই এইদৰেও কব পাৰি যে লোকসংখ্যাৰ ফালেদি পৃথিৱীত দিনে প্ৰতি একোখন নগৰ গঢ়ি উঠিব লাগিছে। এইদৰে বছৰেকত পৃথিৱীৰ লোকসংখ্যা বাঢ়িছে- ২৫ নিযুত বা ২॥ কোটিকৈ। এই নিৰিখে বাঢ়ি থাকিলে আৰু এশ বছৰৰ মূৰত পৃথিৱীৰ লোকসংখ্যা হব ৫৪০০ নিযুত বা ৫৪০ কোটি, দুশ বছৰৰ মূৰত ১৪,৫০০ নিযুত বা ১৪৫০ কোটি, তিনিশ বছৰৰ মূৰত ৪৫০০০ নিযুত বা ৪৫০০ কোটি।

এতিয়া পৃথিৱীৰ লোকসংখ্যা ২৫০ কোটি।

জুলিয়ান হাক্সলিৰ মতে পৃথিৱীৰ জনসংখ্যাৰ দৈনিক বৃদ্ধিৰ হাৰ ৬০,০০০ জন, ঘণ্টাত ২৪০০ জন, মিনিটত ৪০ জন আৰু তিনি চেকেণ্ডত ২ জন। বাঢ়িছেহে তিনি চেকেণ্ডত দুজনকৈ, জন্মৰ নিৰিখ কিন্তু তাতকৈ বেছি হব; কাৰণ মৃত্যু বাদ দিওঁতেহে ৩ চেকেণ্ডত দুজনকৈ বাঢ়িছে। এতিয়া দুয়োটা মিলাই চোৱা যাওক:

পৃথিৱীৰ জনসংখ্যাৰ মৃত্যুৰ হাৰ হ'ল মিনিটত ৬৮ টা, অৰ্থাৎ দৈনিক ৯৭,৯২০ টাকৈ অৰ্থাৎ বছৰত ৩,৫৭,৪০,৮০০ টা। এতিয়া মিনিটত বাঢ়ে ৪০ টা আৰু মিনিটত মৰে ৬৮ টা, গতিকে জন্ম হয় মিনিটত ১০৮ টাকৈ অৰ্থাৎ চেকেণ্ডত ১.৮ টাকৈ আৰু ঘণ্টাত ১,৫৫,৫০০ টা জন্মে।

অসমৰ লোকসংখ্যা ৯০,৪৩,৪০৭ অৰ্থাৎ পৃথিৱীৰ মানুহ ৬ ঘণ্টা এটাও নমৰাকৈ ৰাখিব পাৰিলেই জনসংখ্যাৰে ৬ ঘণ্টাৰ ভিতৰতে অসম এখন উপজিব। ভাৰতৰ জনসংখ্যা হিচাপ কৰি চাই উলিওৱা হৈছে যে অবিভক্ত ভাৰতৰ জনসংখ্যা বাঢ়িছিল বছৰি ৫০ লাখকৈ আৰু এতিয়া বিভক্ত ভাৰতত বাঢ়ে বছৰি ৪০ লাখকৈ। বৰ্ত্তমান নিৰিখত বাঢ়ি গৈ থাকিলে পৃথিৱীৰ লোকসংখ্যা ৬০ বছৰত এতিয়াৰ দুগুণ হব।

মৰণৰ কথাটি আৰু অলপ চোৱা যাওক। পৃথিৱীত প্ৰতি মিনিটত ৬৮ টা আৰু চেকেণ্ডত এটাতকৈ বেছি মানুহ মৰিব লাগিছে। পৃথিৱীৰ দুশ

কৰি কোটি মানুহে তেনেহলে দেখা যায় মৃত্যুৰ শান্তি-বঁটা পাবৰ কাৰণে চিঠিখেলত নাম দি ক্ষণৰ পিছত ক্ষণ লেখি নীৰৱে বাট চাই আছে। মৃত্যু দেৱতায়ো অবিৰামভাৱে পুৰস্কাৰ দিবই লাগিছে। প্ৰত্যেক চেকেণ্ডত অন্ততঃ এজনে পুৰস্কাৰ লাভ কৰিছেই। এইদৰে একো বছৰৰ ভিতৰতে প্ৰায় ৩।। কোটি লোকে (৩,৫৭,১০,৮০০ লোকে) পুৰস্কাৰ পায়; অৰ্থাৎ মৃত্যুৰ শান্তি-ময় শয্যাত বিশ্ৰাম লাভ কৰে। কিন্তু ইমান লক্ষ কোটিবাৰ খেল হৈ যোৱা সত্বেও জীৱমানসকলৰ ভাগ্যত সেই পুৰস্কাৰ মিলা নাই। অৱশ্যে এই পুৰস্কাৰ লভিবলৈ মানুহে হেতা-ওপৰা নকৰে। বৰং তাৰ হাত সাৰিবলৈহে সকলোৰে চেষ্টা; তথাপি চিঠিখেলত নাম উঠিলে কাৰো ৰক্ষা নাই—পুৰস্কাৰ গ্ৰহণ কৰিব লাগিবই। এই অৱশ্যম্ভাৱী পুৰস্কাৰ হাজাৰ হাজাৰ লোকে দৈনিক চকুলোৰে গ্ৰহণ কৰি থকা সত্ত্বেও মানুহে নিজক অমৰ বুলি ভাবিহে অনেক কাম কৰে। মানুহৰ এই আচৰিত মূৰ্খামিকে লক্ষ্য কৰি মৃত্যুপতি যম-ৰজাৰ প্ৰশ্নৰ উত্তৰত যুধিষ্ঠিৰে জানো কোৱা নাছিল—

"অহন্যহনি ভূতানাং গচ্ছন্তি যমমন্দিৰং; শেষাঃ স্থিৰত্বমিচ্ছন্তি কিমাশ্চৰ্য্যং অতঃপৰম্?"—

এতিয়া কথা হ'ল, মানুহৰ সংখ্যা যদি ক্ৰমাৎ বাঢ়ি গৈয়ে থাকে, তেন্তে খেতিৰ উৎপন্নই জানো এনেদৰে ক্ৰমবৰ্দ্ধমান জনসংখ্যাক পোহপাল দিব পাৰিব? খৃষ্ট জন্মৰ আঠ হাজাৰ বছৰৰ পূৰ্ব্বে মানুহে পোনতে খেতি কৰিবলৈ শিকে বুলি পণ্ডিতসকলে ভাবে। তেতিয়া পৃথিৱীৰ প্ৰত্যেক দুই বৰ্গমাইলৰ ভিতৰত জনসংখ্যা আছিল এটাকৈ। অৰ্থাৎ দুই বৰ্গমাইলৰ শস্য একোটা মানুহে পাবলৈ আশা কৰিব পাৰিছিল। আজি বেলজিয়ামত গড়ে একো বৰ্গমাইল ভূমিত ৭৫০ টাকৈ লোক আছে। কামৰূপৰ জনবহুল মৌজা একোটাতো মানুহৰ বসতি তদনুৰূপেই হয়। অৰ্থাৎ খেতি আৱিস্কাৰৰ আদিম অৱস্থাৰ লোকৰ পোন্ধৰ শ গুণ বেছি ঘন বসতি। অৱশ্যে ইংলণ্ডৰ লোকসংখ্যাৰ বেছিভাগেই শিল্পজীৱী। ইংলণ্ডৰ কথা বাদ দি ভাৰতৰ বা পাকিস্থানৰ কথা ধৰিলে দেখা যায়—এই দুয়ো দেশত প্ৰতি বৰ্গমাইলত ২৭৪ টাকৈ লোক আছে।

এই ক্ৰমবৰ্দ্ধমান জনসংখ্যাক খুৱাই ৰাখিবলৈ হলে আধুনিক প্ৰণালীত খেতি আৰম্ভ কৰিব লাগিবই। কিন্তু যিমানেই খৰচ কৰি আধুনিক প্ৰণালীত

খেতি নকৰক—সি এদিন গৈ খৰচ আৰু যত্নৰ অনুপাতে উৎপাদন বা ফচল দিবলৈ এৰিবই। অৰ্থাৎ এবিঘা মাটিত ধান খেতি কৰিলে সাধাৰণতে ৫।৬ মোন ধান পোৱা যায়। তাত সাৰ দি ৪।৫ টকা বেছি খৰচ কৰি বেছিকৈ চহাই খেতি কৰিলে হয়তো ১৫।২০ মোন হবগৈ। তাতোকৈ বেছি খৰচ আৰু মেহনত কৰি খেতি কৰিলে হয়তো ২৫।৩০ মোন হব। কিন্তু যিমানেই খৰচ কৰা নাযাওক, যিমানেই যত্ন লোৱা নহওক, এবিঘা মাটিত এশ মোন নহব। অৰ্থাৎ উৎপাদিকা শক্তি আৰু যত্নৰ সীমা আছে। সেই সীমাৰ সিপাৰে গৈ সি আৰু হাজাৰ যত্ন কৰিলেও ফল নিদিয়া হয়। তেতিয়া কি হব? তেতিয়া বিপ্লৱ আহিবই। ধ্বংস তেতিয়া অনিবাৰ্য্য।

জনসংখ্যা বৃদ্ধি আৰু খাদ্য-সঙ্কটৰ মহা-সমস্যা মাত্ৰ দুটা উপায়ে সমাধান হব বুলি চিন্তাশীল মনীষীসকলে আজি ভাবে। সেই উপায় দুটাৰ এটা হৈছে জন্ম-নিয়ন্ত্ৰণ আৰু আনটো বিবিধ প্ৰকাৰৰ শস্যৰ উৎপাদন বৃদ্ধি। পণ্ডিত নেহৰুৰ মতে প্ৰথমটো পৰিমিত পৰিয়াল গঠন আৰু আনটো অধিক শস্য উৎপাদন।

ইংৰাজ পণ্ডিত মালথুচৰ মতে জনসংখ্যা বৃদ্ধি বন্ধ কৰাৰ তিনিটা উপায় আছে; যেনে—মানসিক দমন (moral restraint), দুখ-দৈন্য বৃদ্ধি (misery) আৰু পাপাশ্ৰয় (vice)। তেওঁ নিজে এজন ধৰ্ম্মযাজক আছিল কাৰণে পাপক প্ৰশ্ৰয় দিয়া কথাক অন্তৰেৰে সমৰ্থন নকৰিছিল। বাকী দুটা উপায় অৰ্থাৎ মানসিক দমন আৰু দুখ-দৈন্যৰ সৃষ্টি—এই দুয়োটা উপায়কে লাগতিয়াল বুলি তেওঁ ভাবিছিল। তেওঁৰ মতে দুখ-দৈন্যই মানুহক হতায়ুস কৰি শীঘ্ৰে মৃত্যুৰ মুখত পেলায়। কিন্তু মালথুচে এই কথা লিখা আজি প্ৰায় ডেৰশ বছৰৰ বেছি হৈ গ'ল। ইমান দিনৰ অন্তত কিন্তু মানুহে আজি তেওঁ দেখুৱা তিনিটা পন্থাৰ নিষেধ পন্থাটোহে আৱশ্যকীয় বুলি মানি লব ধৰিছে। কিয়নো জন্ম দৈন্যক আশ্ৰয় কৰি ধ্বংসপ্ৰাপ্ত হোৱাতকৈ মূলতে জন্ম নিৰোধ কৰা শ্ৰেয়ঃ। মানসিক দমন জনসাধাৰণৰ কাৰণে এটা ঢুকি নোপোৱা আদৰ্শ মাত্ৰ; কাৰ্য্যক্ষেত্ৰত সি সহজ-সাধ্য নহয়।

ভাৰতৰ জনসংখ্যা বৃদ্ধিৰ পৰিমাণলৈ লক্ষ্য কৰি কব পাৰি যে ভাৰতে প্ৰত্যেক দহ বছৰৰ ভিতৰত একোখন গ্ৰেটবৃটেইন প্ৰসৱ কৰে। অৰ্থাৎ

দহ বছৰৰ ভিতৰত ভাৰতত যিমান জনসংখ্যা বাঢ়ে, গ্ৰেটব্ৰিটেইনৰ জনসংখ্যা বৰ্ত্তমানে সিমান; সিমান কিয়, হিচাপত অলপ কমহে।

আজি ভাৰতৰ জনসংখ্যা গড়ে প্ৰতি বৰ্গমাইলত ৩০০; আমেৰিকাৰ ছ-গুণ। অৱশ্যে ইউৰোপতকৈ এতিয়াও গড়ে প্ৰতি বৰ্গমাইলৰ লোকসংখ্যা ভাৰতত অনেক কম। বেলজিয়মৰ লোকসংখ্যা গড়ে প্ৰতি বৰ্গমাইলত ৭৫০, ব্ৰিটেইনৰ ৫৩০ আৰু ইতালীৰ ৪০০। কিন্তু এইবোৰ দেশ যাইকৈ শিল্প-প্ৰধান। সেই কাৰণে ১৯৫১ চনৰ ৭ৰি এপ্ৰিলত প্ৰকাশ হোৱা New York Timesৰ মতে "Mr. Nehru said, India was over-populated by American standard but was not by European standards and being a big country, should support a big population" অৰ্থাৎ ইউৰোপৰ তুলনাত ভাৰতত এতিয়াও জনসংখ্যাধিক্য সমস্যা অহা নাই।

এতিয়া ভাৰতৰ জনসংখ্যাৰ পিয়ল কৰি ভাৰতৰ চেন্সাছ কমিছনাৰ শ্ৰীআৰ. এছ. গোপালস্বামীয়ে ১৯৫১ চনৰ চেন্সাছৰ সম্পৰ্কে কোৱা দুই এটা কথা উল্লেখ কৰা যাওক। ১৮৮১ চনতে পোনতে আৰম্ভ হোৱা চেন্সাছৰ পৰা তাৰ পিছৰ চেন্সাছৰ লোকসংখ্যা বৃদ্ধিৰ বিষয় গৱেষণা কৰি গোপাল-স্বামীয়ে কয় যে ভাৰতৰ ৩৬ কোটি ভাৰতীয় এই নিৰিখে বাঢ়ি থাকিলে ১৯৬১ চনত ৪১ কোটি, ১৯৭১ চনত ৪৬ কোটি আৰু ১৯৮১ চনত গৈ ৫২ কোটি হব।

আমেৰিকা আৰু ৰুছিয়াৰ লোকসংখ্যা লগ লগালে আজি ভাৰতৰ লোক-সংখ্যাতকৈ কম হব; কিন্তু উক্ত দুখন দেশৰ মাটিৰ কালি ভাৰতৰ প্ৰায় দহগুণ হব। অৰ্থাৎ উক্ত দুখন দেশত এতিয়াও অনেক মাটি গৰাবাদ আছে; কিন্তু ভাৰতত সেই পৰিমাণে নাই। ইউৰোপৰ প্ৰত্যেক জন লোকে নিজৰ খেতিৰ মাটিৰ গড়ে ৩০ অংশতহে খেতি কৰিছে; কিন্তু ভাৰতীয় লোকে নিজৰ মাটিৰ গড়ে শতকৰা ৪৩ অংশত খেতি কৰিছেই।

ভাৰতত এতিয়া ৫,৫৮,০৮৯ খন গাঁও আৰু ৩০১৮ খন চহৰ আছে। ২৯৫০ লাখ লোক গাঁৱত বাস কৰে আৰু ৬১৯ লাখ লোক চহৰত বাস কৰে। ভাৰতৰ লোকসংখ্যাৰ শতকৰা ১৭.৩ টাহে চহৰত বাস কৰে, বাকীখিনি গাঁৱতেই। জন্মসংখ্যা প্ৰতি বছৰে হাজাৰত ৪০ আৰু মৃত্যু সংখ্যা প্ৰতি বছৰে হাজাৰত ২৭ অৰ্থাৎ হাজাৰত ১৩ কৈ বাঢ়িব লাগিছে।

ভাৰতৰ জনসংখ্যা বৃদ্ধিৰ সমস্যাটো কিন্তু সকলোৱে সমভাৱে লোৱা নাই। অধ্যাপক হীৰেন্দ্ৰ মুখাৰ্জীৰ মতে ,'The percentage of population in our country has ben lower than in the West. India's population increased three-fold betwеen 1750 and 1941 But the population of United Kingdom in that period increased over five times in spite of large migration. India's rate of increase to-dav is about the same as Holland's".

বঢ়া আৰু মৰাৰ সংখ্যাৰ হিচাপ এইদৰে হ'ল। মতা-মাইকাৰ সংখ্যা সম্পৰ্কে শ্ৰীগোপালস্বামী ডাঙৰীয়াই কয়—প্ৰত্যেক হাজাৰটা মতা মানুহৰ ভিতৰত গড়ে এতিয়া ভাৰতত ৯৪৭ জনী মাইকী আছে। আগৰ তিনিটা পিয়লত হাজাৰ মতাৰ ভিতৰত ক্ৰমে ৯৫৫, ৯৪১ আৰু ৯৪৫ জনী মাইকী আছিল। ইয়াৰ পৰা দেখা যায়, ভাৰতত মতাতকৈ মাইকীৰ সংখ্যা সদায় কম হৈ আহিছে। সেই বাবেই নেকি "দশপুত্ৰাঃ সম কন্যা" -শ্লোকৰ উৎপত্তি! অৰ্থাৎ মানুহক পুত্ৰোৎপাদনতকৈ কন্যা জন্ম দিয়াত উৎসাহ দিয়াই ইয়াৰ ঘাই উদ্দেশ্য হব পায়। সংখ্যাৰ এনেদি চাই তেনেহলে কব লাগিব আজিৰ যুগত একাধিক পত্নী গ্ৰহণ অন্যায়েই নহয়, দোষণীয়ও।

জন্ম-নিৰোধক পৰিমিত পৰিয়াল নিৰ্দ্ধাৰণ, বহু-বিবাহ বৰ্জ্জন আদিৰ সংখ্যা বৃদ্ধিৰ হিচাপ-নিকাচৰ ফালৰপৰা চাই প্ৰয়োজনীয় বুলি প্ৰতিয়মান হলেও বৈচিত্ৰ্যময় জগতৰ ঘটনাৱলীয়ে কিন্তু তাক সততে সমৰ্থন নকৰে। মনত ৰাখিব লাগিব যে বিশ্ববৰেণ্য পুৰুষ মহাত্মা গান্ধীও আছিল তেওঁৰ পিতাকৰ চতুৰ্থ পত্নীৰ চতুৰ্থ সন্তান ; উপৰোক্ত বিধিবদ্ধতাৰ মাজত হয়তো জগতে সুভাষ বসুৰ দৰে দেশনেতা, টলষ্টয়ৰ দৰে মনীষী নতুবা নেপোলিয়নৰ দৰে মহাবীৰৰো আবিৰ্ভাৱ দেখিবলৈ নাপালোহেঁতেন। তথাপি তেনেকুৱা মহাপুৰুষ আবিৰ্ভাৱ—যেতিয়া হব লাগে হবই বুলি মানি লৈহে চলিব লাগে। কিয়নো ক্ষণজন্মা বিৰাট পুৰুষৰ সংখ্যা তাকৰ আৰু তেওঁলোকৰ জন্ম বিশ্বনিয়ন্তাৰ ইচ্ছাৰ ওপৰত নিৰ্ভৰ কৰে বুলিয়েই মানিব লাগিব।

যোৱা ১৯৫১ৰ লেপ্সাছে আৰু এটি কথা দেখুৱাইছে। হিচাপত দেখা গৈছে যে ভাৰতত প্ৰত্যেক দুটা মতা মানুহৰ ভিতৰত একেটাইহে বিয়া কৰাইছে। অৰ্থাৎ মুঠ মতা মানুহ যিমান তাৰ আধাখিনিয়েই অবিবাহিত।

মাইকীৰ কথা আৰু বেছি আচৰিত। প্ৰত্যেক পাঁচজনা মাইকী মানুহৰ ভিতৰত প্ৰায় দুজনায়ে অবিবাহিতা। এইবোৰ সমস্যাৰ সমাধানো জানো ৰাষ্ট্ৰৰ কৰ্ত্তব্য নহয়? জনসংখ্যা নিৰ্দ্ধাৰণ কৰাৰ লগে লগে বিবাহৰ নাতিতো যাতে ব্যভিচাৰ নঘটে —সেইটোলৈও লক্ষ্য ৰাখি তদনুৰূপ আইন আৰু ব্যৱস্থা কৰিবলৈ ৰাষ্ট্ৰই শীঘ্ৰে হাতত লোৱা উচিত।

আজিৰপৰা বাইশ বছৰ পিছত আমেৰিকাত কেনেবোৰ পৰিবৰ্ত্তন আহিব আৰু সেই পৰিবৰ্ত্তনৰ লগত জড়িত থকা সমস্যাবোৰ কিদৰে সমাধান কৰা হব তাৰ চিন্তা সেই দেশৰ লোকে আজিৰেই কৰিছে। জনসংখ্যা বৃদ্ধিৰ লগত সম্বন্ধ থকা খাদ্য-সমস্যাৰ কথা তেওঁলোকৰ ভিতৰতে জৰ্জ্জ আৰ. হেৰিচন নামে পণ্ডিত এজনে এইদৰে কৈছে—

"How will we eat in 1976? Today each of us requires about four pounds of food products per day Many of us are currently consuming more than that and some 20 million Americans are shortening their lives by overeating. By 1976 we will have about 40 million more mouths to feed at home alone to say nothing of commitments abroad. This puts a considerable burden on the industry of farming. Today each worker on a U. S. farm feeds 16 people; by 1976 he will have to feed 20 or more. To do this by present methods would require about 120 million more acres of arable lands but even with the best irrigation, drainage and clearing, we can not get more than 40 million".

অৰ্থাৎ বাইশ বছৰ পিছত আমেৰিকাৰ মানুহ ইমান বাঢ়িব যে আজি তাত যিমান ঠাইত খেতি কৰা হৈছে তাতকৈ আৰু বাৰ কোটি একৰ মাটিত খেতি কৰিলেহে আটিব। কিন্তু তেওঁলোকে যত্ন কৰিলেও চাৰি কোটি একৰৰ বেছি মাটি সেই দেশত আৰু খেতিৰ উপযুক্ত কৰিব নোৱাৰে। তেন্তে উপায়? উপায় উলিয়াইছে—সাগৰত বা অন্য পানীত গজা এলগি নামৰ এক শ্ৰেণীৰ পানীঘাঁহ খাবলৈ যুগুত কৰাটো।

"But algae can swell the world's protein supply. Many types which grow in fresh water contain about 50 p. c. protein." জাপানীসকলে এই এলগি শ্ৰেণীৰ পানীঘাঁহ এতিয়া বৰকৈ খায়। ইয়াক খাবলৈ বেয়া লাগে যদিও খাওঁতে খাওঁতে সি তেওঁলোকৰ কাৰণে এবিধ সুখাদ্য বস্তু হৈয়ে পৰিছে হেনো। "But their so-called 'delicate grassy flavour' is not attractive and much scientific work must be done before they can be converted economically into real or synthetic steaks."

ভগৱানৰ কৃপাত আমাৰ দেশত অৱশ্যে এতিয়াও জাপানীসকলৰ দৰে খাদ্যাভাৱত ঘাঁহ খাব লগীয়া অৱস্থা হোৱা নাই। পাঁচ-বছৰীয়া পৰিকল্পনা চলি থাকিলে তেনে অৱস্থা শীঘ্ৰে নাহিব বুলিও বিশ্বাস হয়। কিন্তু জনসংখ্যা বৃদ্ধিৰ হাৰে হলে খাটাংকৈ কি দিয়ে যে সেই দিন ভাৰততো এদিন তম্হিবই। ভাৰতৰ লোকৰ কাৰণেও আজি সেয়েহে আগ ধৰি জনসংখ্যা সমস্যা আৰু খাদ্য সমস্যা, এই দুয়ো সমস্যাৰ আগ-চিন্তা কৰিবৰ সময় আহিছে। ৰজা-ঘৰীয়া আৰু প্ৰজা-ঘৰীয়া চিন্তাশীল লোকসকলে এই বিষয়ে ভাবিব বুলি আশা কৰা হ'ল। তাকে নকৰিলে কিন্তু চিত্ৰগুপ্তই তেওঁৰ হিচাপ যথাসময়ত যথাস্থানত পেচ কৰিবই। অকল সমস্যাৰ কথা কলেও নহয়, তাৰ সম্যক সমাধানৰ ব্যৱস্থাও লগে লগে দিব লাগিব।

(৩)

আধুনিক যুগ বিজ্ঞানৰ যুগ। বৈজ্ঞানিক প্ৰণালীৰ সকলো কাৰ্য্য যুক্তিপূৰ্ণ কাৰণৰ ওপৰত প্ৰতিষ্ঠিত। বিজ্ঞানে মানৱৰ সুখ-স্বচ্ছন্দতা বৃদ্ধিৰ কাৰণে বিশ্বাসী ভৃত্যই প্ৰভুৰ কাৰণে কাম কৰাৰ দৰে কৰিছে। মানুহে বিজ্ঞানক তদনুযায়ী ব্যৱহাৰ কৰি জীৱনৰ কাম নিয়ন্ত্ৰণ কৰিবলৈ যত্নপৰ হৈছে। পৰিয়াল নিয়ন্ত্ৰণ বা 'ফেমিলি প্লেনিং' তেনে এটি বিজ্ঞান-সম্মত পৰিকল্পনা।

স্বাধীনতাৰ পিছত ভাৰতেও অন্যান্য অনেক দেশৰ দৰে পৰিয়াল নিয়ন্ত্ৰণৰ আঁচনি গ্ৰহণ কৰিছে। পৰিয়াল নিয়ন্ত্ৰণ মানে অকল জন্ম-নিৰোধেই নহয়; সম্বল, সমৃদ্ধি আৰু প্ৰয়োজনৰ লগত সমন্বয় ৰাখি নিয়মীয়া পৰিয়াল গঢ়ি তোলাটোও পৰিয়াল নিয়ন্ত্ৰণৰ অন্যতম লক্ষ্য।

শিশু-হীন গৃহে পুষ্পহীন উদ্যানে সমান। ফুলহীন লতা, ফলহীন গছ আৰু তৰু তৃণহীন প্ৰান্তৰ যেনে; শিশুহীন ঘৰখনো সেই একে ধৰণৰ। গতিকে সন্তানহীন ঘৰত সন্তানোৎপাদনৰ কাৰণে বিজ্ঞান-সন্মত ব্যৱস্থা কৰাও পৰিয়াল নিয়ন্ত্ৰণ আঁচনিৰ অন্তৰ্ভুক্ত কাম। পণ্ডিতসকলেও কৈছে—

অমৃতং শিশিৰে বহ্নি
অমৃতং শিশু-ভাষিতম্
অমৃতং যুৱতী ভাৰ্য্যা
অমৃতং পুত্ৰ পণ্ডিতঃ।

অৰ্থাৎ জাৰৰ দিনৰ জুই, শিশুৰ ঠানাক-ঠুনুক মাত, যুৱতী ভাৰ্য্যা আৰু পণ্ডিত পুত্ৰ—এই কেইটা বস্তু অমৃত-সদৃশ। গতিকে ঘৰখন শুৱাই তুলিবলৈ শিশু লাগিবই। সঁচাকৈয়ে শিশু আৰু বৃদ্ধলোক গৃহস্থালিৰ একোপদ অলঙ্কাৰ স্বৰূপ। কিন্তু অপৰ্য্যাপ্তৰূপে জোটাজুটিকৈ কাণে-মূৰে পিন্ধা অলঙ্কাৰে শৰীৰৰ শোভা বৃদ্ধি নকৰি মানুহক কুশ্ৰী কৰিহে তোলে। গৰমত মৃদু মলয়াৰ বা অতি মনোৰম সঁচা, কিন্তু মলয়াৰ স্থলত ধুমুহা কেতিয়াও কাৰো কাম্য নহয়। পিয়াহত পানী উপাদেয় হলেও তাৰ স্থলত প্ৰলয়ঙ্কৰী বানপানী কাৰো বাঞ্ছনীয় নহয়। সৰ্বলোৰেই 'অতি' বৰ্জ্জনীয়। কবিয়েও কৈছে যে 'অতি' শব্দ সদায় অৱনতি শব্দৰ লগত সাঙোৰা থাকে—পোহৰৰ লগত ছাঁ থকাৰ দৰে। অৱনতি শব্দৰেই মাজৰ দুটা আখৰ বাদ পৰি 'অতি' হৈছে; গতিকে 'অতি' সদায় অৱনতিৰ লক্ষণ, আৰু সেইবাবে সকলোতে 'অতি' বৰ্জ্জনীয়ঃ—

অতি সঙ্গী সদা অৱনতিঃ
আলো সঙ্গী ছায়া যথা। অতি উদ্‌ভূত,
উহ্য হুয়া 'অৱনতি' মধ্য দ্বি অক্ষৰ;
অতি হোৱে 'অৱনতি' পূৰ্বৰ লক্ষণ। — সীতাহৰণ কাব্য

ঠিক সেইদৰে অনেক শিশুৰ খিকিন্দালিৰে ভৰা, খাদ্য-বস্ত্ৰহীন দুখপূৰ্ণ ঘৰখনো কাৰো কাম্য বা বাঞ্ছনীয় নহয়। পুত্ৰই 'পুং' নামে নৰকৰ পৰা পিতৃক উদ্ধাৰ কৰে সঁচা, কিন্তু কলি যুগত বহুপুত্ৰাও 'নৰকী' বুলি বুঢ়া লোকসকলে কয়; সেয়েহে ঘৰৰ উপাৰ্জ্জনৰ লগত সম্বন্ধ ৰাখি পৰিয়াল নিয়ন্ত্ৰণ কৰা আৱশ্যকীয় বুলি সকলো শিক্ষিত লোকে আজি মুক্তকণ্ঠে স্বীকাৰ কৰে; "গাঁঠিত নাই ধন; ৰৰসবাহলৈ মন" হলে কি হব? তেনে অৱস্থাত সকলোৰে মনে-প্ৰাণে ভাবে, নিজৰ পৰিয়ালটো যেন আয় বা আৰ্জ্জনৰ লগত খাপখোৱা হয়। জীৱনটো যেন পৰিয়ালৰ ভৰণ-পোষণৰ চিন্তাত দুৰ্ব্বহ হৈ নপৰে।

দুশ টকা দৰমহা পোৱা চাকৰিয়াল এজনৰ দুটা মাত্ৰ পৰিয়াল থাকিলে গাই পতি এশ টকাকৈ খৰচ কৰিব পাৰে। চাৰিটা প্ৰাণী হলে প্ৰত্যেকে মাত্ৰ পঞ্চাশ টকাকৈ ভাগত পাব। আঠোটা প্ৰাণী হলে মাত্ৰ পঁচিশ টকাকৈ পাব! তেনে স্থলত জীৱন ধাৰণৰ মান বা Standardও নামি যাবলৈ বাধ্য।

তাতে আকৌ অনিৰ্দ্দিষ্টভাৱে লোকসংখ্যা বাঢ়ি গলে নিবনুৱা সমস্যা, খাদ্য সমস্যা, ৰোগত মৃত্যু আদিৰ পৰিমাণে সেই হিচাপে বাঢ়িব। ভাৰতত যোৱা দহ বছৰৰ ভিতৰত চাৰি কোটি মানুহ বাঢ়িছে। মৃত্যুৰ ফালেদি চালেও আচৰিত চিত্ৰ দেখা যায়। আজিৰ হেন দিনটো ভাৰতত বছৰি প্ৰায় সোতৰ লাখ শিশু জন্মৰ এবছৰৰ ভিতৰতে মৰে। বছৰি মৃত্যু হোৱা লোকসকলৰ শতকৰা পঞ্চাশজনেই দহ বছৰৰ তলৰ শিশু। এনে স্থলত নিয়-ন্ত্ৰণৰ মাজেদি পৰিয়াল গঢ়ি তুলিবলৈ আজি সকলোৰে বাঞ্ছা কৰা তেনেই স্বাভাৱিক। কাৰণ, সেয়ে হলে প্ৰত্যেক শিশুৱে আৱশ্যকীয় তত্বাৱধান পায়। কিন্তু বাঞ্ছা কৰিলেই সকলো নহয়। তাৰ লগে লগে বাঞ্ছাকল্পতৰু বৃক্ষৰো সৃষ্টি হব লাগিব। তাকে কৰিবলৈ অৱশ্যে ভাৰত চৰকাৰে পাঁচ-বছৰীয়া পৰিকল্পনা অনুযায়ী কাম হাতত লৈছে। সেই উদ্দেশ্যে ভাৰত চৰকাৰে প্ৰথম পাঁচ-বছৰীয়া পৰিকল্পনাত ৬৫ লাখ, দ্বিতীয় পৰিকল্পনাত ৫ কোটি আৰু তৃতীয় পৰিকল্পনাত ৫০ কোটি টকা খৰচ কৰিছে আৰু কৰিব।

তৃতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাত অৱশ্যে ভাৰতত গাঁও আৰু চহৰ অঞ্চলত অপৰ্য্যাপ্ত পৰিমাণে 'ক্লিনিক' বা চিকিৎসাগাৰ খুলি পৰিয়াল পৰিকল্পনা সম্প-

কীয় কাম ব্যাপক কৰিবৰ কাৰণে আঁচনি আছে। দ্বিতীয় পৰিকল্পনাত অসমত ৬০খন 'ক্লিনিক' খোলা হৈছে। তাৰে ৯খন গাঁৱত; ৫১খন চহৰত তৃতীয় পৰিকল্পনাত আৰু ১২০খন খোলা হব। ধাত্ৰী শিক্ষা দিয়াৰ ব্যৱস্থাও কৰা হব।

প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনাত ভাৰতত মাত্ৰ এশ সাতচল্লিচটা 'ক্লিনিক' খোলা হৈছিল। দ্বিতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাত ইয়াৰ বাহিৰেও এহাজাৰটা ক্লিনিক গাঁৱত, পাঁচ শ-টা ক্লিনিক চহৰত খোলা হৈছে। টকা খৰচ হোৱাৰ লগে লগে যথাৰ্থ কাম যাতে হয়, তৃতীয় পৰিকল্পনাত সেইটো লক্ষ্য ৰখা উচিত হব। বৈজ্ঞানিক পদ্ধতিবোৰৰ আৱশ্যকতা বা প্ৰয়োগ দেখুৱাৰ আগতে পৰিয়াল নিয়ন্ত্ৰণৰ প্ৰয়োজনীয়তাহে গাঁৱে-ভূঁয়ে বিস্তাৰিতভাৱে বুজাব লাগে।

এতিয়া ভাৰতৰ ভিতৰত পৰিয়াল নিয়ন্ত্ৰণৰ প্ৰশিক্ষণৰ বাবে তিনিটা অনুষ্ঠান গঢ়ি উঠিছে: এটা বোম্বাইত (Family Planning and Research Centre in Bombay), এটা ৰমণগ্ৰামত (Family Planning Demonstration and Experimental Centre at Ramanagram); আৰু এটা কলিকতাত (All India Institute of Hygiene and Public Health, Culcutta)। এইবোৰৰ উপৰিও ছটা আঞ্চলিক প্ৰশিক্ষণ কেন্দ্ৰ খোলাৰ প্ৰস্তাৱ চলি আছে।*

এনেবোৰ ডাঙৰ ডাঙৰ অনুষ্ঠানৰ দ্বাৰা আশানুৰূপ যথেষ্ট কাম হব বুলি ভাবি সকলো ৰাজ্যৰ মেডিকেল ট্ৰেইনিং ইনষ্টিটিউটবোৰত পৰিয়াল নিয়ন্ত্ৰণৰ শিক্ষা ডাক্তৰসকলক দিবলৈ খৰচ দিয়া হৈছে। 'ক্লিনিক' পাতিব পাৰিলে

---

*Facilities in this regard are proposed to be extended by the establishment of six regional training centers in the near future. Side by side, short-term intensive or orientation courses for doctors, social workers and healh visitors who are already engaged in the work, are also being organized at different places in different states.—*V. K. B. Pillai, I. C. S.*

তাৰ খৰচ চৰকাৰে বহন কৰিবলৈও গাত লৈছে।* কেন্দ্ৰীয় আৰু ৰাজ্যিক পৰিয়াল পৰিকল্পনা ব'ৰ্ডৰ যুক্তি আৰু পৰামৰ্শতে এই কাৰ্য্য চলিব লাগিছে।

ইয়াৰ উপৰিও পৰিভ্ৰমণকাৰী প্ৰশিক্ষকৰ দল এটা ঘূৰি ফুৰিব বুলিও আশ্বাস পোৱা গৈছে।* একো একো ঠাইত থুপুৰি কৰি শিক্ষা দিয়াতকৈ এই ভ্ৰমণকাৰী প্ৰশিক্ষকৰ দ্বাৰাহে শিক্ষা বিস্তাৰ বেছি কাৰ্য্যকৰী হব বুলি আশা কৰা যায়—কিয়নো এপাত তালে নবজাৰ দৰে পুৰুষ আৰু স্ত্ৰীৰ ভিতৰতো এটা পক্ষক শিক্ষা দিলেই ফলোদয় নহয়। পুৰুষ, স্ত্ৰী দুয়োকো বুজালেহে উপদেশ কাৰ্য্যকৰী হব।

পৰিয়াল নিয়ন্ত্ৰণৰ সমস্যা এটা জাতীয় সমস্যা, অকল ডাক্তৰৰ সমস্যা নহয়। সামাজিক আৰু অৰ্থ নৈতিক দুয়োফালেদি এই সমস্যাই বিবিধ ৰূপ ধৰি নানা আহুকাল সৃষ্ট কৰিব লাগিছে। পৰিয়াল নিয়ন্ত্ৰণৰ প্ৰয়োজনীয়তা ভাৰতৰ দৰে ঠাইত অকল আৱশ্যকে নহয়, জৰুৰীভাৱে আৱশ্যকীয় হৈ পৰিছে। এনে এটি বিষয়ৰ সম্যক জ্ঞান আৰু উপকাৰিতা গাঁৱে-ভূঁৱে বিস্তাৰিতভাৱে বিয়পাবলৈ যথেষ্ট যত্ন আৰু অৰ্থৰ আৱশ্যক হব। কিন্তু এই অৰ্থ একপ্ৰকাৰে ব্যয় হৈ পুনঃ অন্য প্ৰকাৰে ৰাষ্ট্ৰৰ ভঁড়াললৈ আহিব।

*Medical training institutions have been urged to include the subject in their training programme and hundred per cent financial assistance has been offered to them by Government of India to open Family Planning Clinics—*D. P. Karmarkar, Union Health Minister.* (Dated 20.6 58)

*As some people find it difficult to go to the training centers, touring training teams are being organized so that instead of trainees going to the centres for instruction, instructors may go to the trainees—*Ibid.*

প্রজাপতিৰ নিৰ্ব্বন্ধ

দ্বিতীয় ভাগ

(গল্প খণ্ড)

সৌভৰীৰ স্বৰ্গলাভ

মান্ধাতাৰ আমোলৰ কথা। ৰজা মান্ধাতাৰ নাম আজিও মানুহৰ মুখে মুখে। তেওঁৰ ৰাজত্ব কালত সৌভৰী নামে এজন ঋষি আছিল। পৰাক্ৰমত ৰজাৰ যি খ্যাতি—তপ-যপ, যজ্ঞ-সাধনাত মুনিৰো সিমানেই খ্যাতি। তেওঁৰ অদ্ভুত সাধনাৰ কাহিনী শুনিলে আজিও গাৰ নোম শিয়ঁৰি উঠে। গৰমকালি টিক্কা-ফটা ব'দৰ তাপত মানুহে যেতিয়া ক'লৈ যাওঁ গোপাল কলৈ যাওঁ কপাল লগায়, তেতিয়া ব'দত চাৰি কুৰা জুই চাৰিওফালে জ্বলাই লৈ তাৰে মাজত বহি তপস্যা আৰম্ভ কৰিছিল। শীতৰ ঠেৰেঙ্গা লগা জাৰত মানুহে যেতিয়া জুইৰ কাষ নেৰে, তেতিয়া তেওঁ গৈ পৰ্ব্বতৰ ওপৰৰ বৰফত বহি ধ্যান আৰম্ভ কৰিছিল। জাৰ-জহ, বতাহ-বৰষুণ, ঘৰ-বাহিৰ, তেওঁৰ কাৰণে তেনেই ভেদাভেদ নাইকিয়া হৈ পৰিছিল। জন্মৰপৰাই তেওঁ ব'ৰাগী হৈ কাল কটাইছিল। সংসাৰৰ ভোগ-বিলাস আৰু বিষয়-বাসনাৰ বতাহে তেওঁক সমূলি স্পৰ্শ কৰিব নোৱাৰিছিল।

এবাৰ জাৰকালি আশ্ৰমৰ এমূৰে থকা সৰোবৰটোৰ মাজত এটা শিলত বহি ঋষিয়ে তপস্যা আৰম্ভ কৰক। তেতিয়া ভয়ঙ্কৰ জাৰ। শীতত ঋষিৰ গাৰ তেজ গোট মৰাৰ দৰে হৈছে; হাত-ভৰি জঠৰ, তথাপি তেওঁৰ কিন্তু ভ্ৰূভঙ্গই নাই। তেওঁ তপস্যাতে মগ্ন।

অনেক দিন এইদৰে অতিবাহিত হ'ল। বতাহ-আহাৰী হৈ মুনি ধ্যানতেই মগ্ন। অৱশেষত ব্ৰতৰ অৱসান হোৱাত এদিন তেওঁ ধ্যানৰপৰা সাৰ পালে। চকু মেলি চাই দেখে তেওঁ সৰোবৰৰ পানীৰ মাজত। ওচৰতে এহাল বৌ-মাছে পোৱালিবোৰ লগত লৈ হৰিষ মনে ঘূৰি ফুৰিছে। সিহঁতৰ সুখ আৰু আনন্দ দেখি ঋষিৰ মনত সন্তোষ লাগিল আৰু লগে লগে অলপ ঈৰ্ষাও উপজিল। তেওঁ বহুখিনি সময় সিহঁতৰ ৰং-ধেমালি চাই থাকিল!

অতৰ্কিতেই ব'ৰাগী ঋষিৰ মনৰ মাজেদি কিবা এটি নতুন আকাঙ্ক্ষা বিজুলীয়াই গ'ল। লগে লগে সংসাৰৰ ভোগ নো কেনেকুৱা তাৰে জুতি চাবলৈ তেওঁৰ বৰ মন গ'ল। কিন্তু মন গলে কি হব? তেওঁ সংসাৰৰ আস্বাদ পায় কেনেকৈ? ব্ৰত-উপবাসত শুকাই-খৰি নাই থকা ভিক্ষাৰী মুনিলৈ জানো কোনোবাই কন্যাদান কৰিব? ভাৰ্য্যাৰ অবিহনে সংসাৰ কেনেকৈ হয়?

ঋষি কিন্তু কম প্ৰতিজ্ঞাৰ লোক নহয়। তেওঁ যি কৰো বোলে কৰিবই। সাহসত ভৰ দি তেওঁ নিজৰ বিয়াৰ কাৰণে ছোৱালী ধৰিবলৈ মনস্থ কৰিলে। হাজাৰে হওক নিজক নিঃকিন বা বয়সীয়া বুলি ভাবিবলৈ সকলোৱে চান পায়। ঋষিয়ে সম্ভৱ নিজৰ ৰূপ-গুণ, বল-বয়স আদিৰ কথা পাহৰিয়ে গৈছিল। ছোৱালী বিচাৰোঁতে তেওঁৰ আকৌ চকু পৰিল গৈ ভালবো ভালতহে। এলাপেছা ছোৱালীত নহয়, ৰজাৰ ছোৱালীত! তেওঁ সেই উদ্দেশ্যে খোজা-খুঢ়া কৰিবলৈ ৰজাৰ ওচৰলৈ গ'ল।

মান্ধাতা ৰজাৰো এপাল ছোৱালী। সংখ্যাত পঞ্চাশজনী। পুতেক আছিল তিনিটা। জীয়েকহঁতৰ কোনোজনী ৰূপ-গুণত কম নহয়। আটাই কেইজনীয়ে জাকত-জিলিকা, চালে চকু-ৰোৱা, সৰ্ব্বৰহী! সকলোৰে ৰূপ-গুণৰ কথা মানুহৰ মুখে মুখে।

জীয়েকহঁতৰ সয়ম্বৰৰ কাৰণে ৰজাই ইতিমধ্যে সকলো প্ৰকাৰ যো-জা কৰি আছিল, কেৱল দিনটোহে ঠিক কৰা নাছিল। এনে সময়ত সৌভৰী ঋষিয়ে গৈ বিয়াৰ কাৰণে ৰজাক এজনী ছোৱালী খুজিলে। কথা শুনি ৰজা তেনেই অবাক হ'ল। সোনতে তেওঁ সপোন যেনহে পালে। ঋষিৰ ই মায়া নে মতিভ্ৰম তেওঁ তাক একো নুবুজিলে। যিয়ে হওক, তেওঁ বাৰু ছাল-ছিগা মুনিলৈ ছোৱালী দিয়ে কোন সতে? চকু হাতত লৈ—কন্যাক নদীত পেলাই দিয়াৰ দৰে দিলেহে হব? ইফালে সৌভৰীবো তপৰ প্ৰভাৱ তেওঁ

জানে ? তেওঁকো পোনে-পোনে বিমুখ কৰি পঠাবলৈ ৰজাৰ সাহস নাই। তেওঁ দোমোজাত পৰিল।

অলপ পৰ ভাবি গুণি থাকি ৰজাই এটা উপায় উলিয়ালে। তেওঁ ভাবিলে ঋষিৰ আগত সঁচা কথা কোৱাই ভাল। নহলে ঋষিয়ে শাপি ভস্ম কৰিব পাৰে। এই ভাবি তেওঁ ঋষিক কলে যে তেওঁৰ আটাইকেইজনী জীয়েকে সয়ম্বৰ পণ কৰিছে। এনে স্থলত সিহঁতৰ কোনোবাই যদি ঋষিক পতি-বৰণ কৰিবলৈ ৰাজী হয় তেন্তে তেওঁৰ কোনো আপত্তি নাই।

ঋষিয়ে ৰজাৰ মনৰ কথা বুজিলে। তেওঁ ভাবিলে, ৰজাই তেওঁক বিদ্ৰূপ কৰিবলৈ হে সয়ম্বৰৰ কথা উলিয়াইছে। কাৰণ ৰজাই জানে যে জটাধাৰী, কৌপীন-পৰিহিত বুঢ়া তপস্বীক কেতিয়াও তেওঁৰ জীয়েক নালাগে কোনো যুৱতীয়ে পতি-বৰণ নকৰে। গতিকে ঋষিয়ে ক'লে—ৰজাৰ আদেশ হলে ঋষি গৈ ৰাজকুমাৰীসকলৰ অন্ততঃ দৰ্শন লাভ কৰি আহিব খোজে।

ৰজাই তুৰন্তে সন্মতি প্ৰকাশ কৰিলে আৰু কলে যে কন্যাসকলৰ কোনো-বাই যদি ঋষিৰ ভক পতি-বৰণ কৰে তেন্তে তেওঁ গৌৰৱ অনুভৱ কৰিব।

ৰজাৰ কথাত অহঙ্কাৰ সুৰ বাজি উঠিছে ; কাৰণ তেওঁ ভালকৈ জানে যে তেওঁৰ প্ৰাণৰ পুতলি ৰূপৱতী জীয়েৰহঁতে লাঙ-লোৱা ঋষিৰ প্ৰস্তাৱ শুনি তেওঁক পতি-বৰণ কৰা দূৰৰ কথা, হাঁহিবহে।

ঋষিয়ে এই ভাবিলৈয়ৰ পোতক তুলিবলৈ মনে মনে সংকল্প কৰিলে। তেওঁ গৈ ৰাজ-ভৱনত সোমাল। ঋষিৰ লগতে যোৱা ৰাজ-দূত এজনে ৰাজকন্যাসকলৰ আগত ঋষিৰ অভিপ্ৰায় কৈ দিলেগৈ।

তেতিয়া কিন্তু ৰাজকন্যাসকলৰ চকুত মুনি মুনি হৈ থকা নাছিল। তেওঁ সিবিলাকৰ চকুত এজন দীপ-লিপ যুৱক ৰূপেহে প্ৰতীয়মান হৈছিল। সেই-বাবে ঋষিৰ অভিপ্ৰায় বুজি একে একে পঞ্চাশজনী ৰাজকুমাৰীয়ে আহি ঋষিৰ মূৰত বৰমাল্য প্ৰদান কৰিলে।

ইফালে এই আচৰিত কাৰ্য্যৰ খবৰ তৎক্ষণাৎ নগৰত ৰজনজনাই গ'ল। ৰজাৰ কাণতো পৰিলগৈ। ৰজা ততালিকে ভিতৰলৈ আহিল। আহি দেখে কথা অবিকল সঁচা। ৰজাৰ আটাইকেইজনী ছোৱালীয়ে ঋষিৰ ডিঙিত মালা দিছে। ৰজায়ো ঋষিৰ মুখলৈ ভালকৈ চাই দেখে ঋষিও আগৰ সেই সোতোৰা-সোতোৰ চালৰ সৌভৰী ঋষি নহয়। তেওঁৰ ঠাইত এজন থুলন্তৰ

'যুৱকহে! তেওঁ তেতিয়া বাধ্য হৈ ঋষিক প্ৰণাম জনালে আৰু ঋষিৰ মহিমা বুজিব নোৱাৰি একেথৰে চাই থাকিল।

ঋষিয়ে কলে—"মহাৰাজ, প্ৰতিজ্ঞা ৰক্ষা কৰিবলৈ যথাবিহিত ব্যৱস্থা কৰাই ভাল। ভগৱানৰ ইচ্ছাত সকলো হয়! ভাল-বেয়া, ডাঙৰ-সৰু, সুৰূপ-কুৰূপ সকলো মনৰ সৃষ্টি অথবা চাক্ষুস ভ্ৰম। ভগৱানৰ ইচ্ছাতেই মায়াৰ তেনেবোৰ আৱৰণ আঁতৰি যায়। 'কন্যা কাময়তি ৰূপং— কন্যাই ৰূপকেই বৰণ কৰিব খোজে; আৰু আপোনাৰ কন্যাবোৰেও তাকেই কৰিছে।"

ৰজা তেতিয়াও স্তব্ধ হৈয়ে থাকিল। তথাপি তেওঁ পূৰ্ব্বৰ প্ৰতিজ্ঞা অনুযায়ী জীয়েকহঁতক ঋষিলৈ বিয়া দিলে। ঋষিয়েও বিয়াৰ অন্তত ৰাজ-কন্যাসকলক আশ্ৰমলৈ লৈ গ'ল।

আশ্ৰম পোৱাৰ লগে লগে ঋষিৰ তপৰ প্ৰভাৱত আশ্ৰমত বহুত ধুনীয়া ধুনীয়া ঘৰবাৰী হৈ পৰিল। ৰজাৰ কন্যাসকলে গৈ আনন্দ মনেৰে সেইবোৰ ঘৰত প্ৰৱেশ কৰিলে। নিৰ্জ্জন আশ্ৰম চাওঁ থাকোঁতেই সুন্দৰ জনপদত পৰিণত হ'ল। ঋষিয়ে তাত ৰাজকুমাৰীসকলৰ লগত মনৰ আনন্দত বিহাৰ কৰিবলৈ লাগিল।

সম্ভোগ-বিহাৰৰ মাজেদি ঋষি আৰু ৰাজকন্যাসকলৰ অনেক দিন কাটি গ'ল। অনেক বছৰ অতিবাহিত হ'ল। মুনিৰ মনত তেতিয়াও ভোগৰ প্ৰতি আসক্তি কমা নাই। তেওঁ এদিন অকলে অকলে বহি ভাবিলে— 'মাছ এহালিৰ সংসাৰ দেখিময়ো সংসাৰৰ ভোগত লিপ্ত হলোঁ। ভোগত নো কেনেকুৱা আসক্তি আছে তাকে অনুভৱ কৰাই আছিল মোৰ উদ্দেশ্য। কিন্তু আজি ইমান বছৰ পাৰ হ'ল—তথাপি যেন মোৰ ভোগৰ প্ৰতি আসক্তি অকণো কম হোৱা নাই, বৰং বাঢ়িছেহে। কেতিয়াবা যে এই ভোগৰ মাজেদি তৃপ্তিৰ চৰম সীমা পামগৈ তাৰো আশা নাই।'

এনেকৈয়ে ভাবি ভাবি তেওঁ পুনঃ সংসাৰ ত্যাগ কৰিবলৈ মনস্থ কৰিলে। তেওঁ তেতিয়া তপৰ প্ৰভাৱত অজস্ৰ ধন-সম্পত্তি কৰি সেইবোৰ ল'ৰা-তিৰোতাসকলক দিলে। তাৰ পিছত মনৰ অভিলাষ মুনিয়ে খুলি কৈ পত্নীসকলৰপৰা যেতিয়া বিদায় ভিক্ষা কৰিলে—তেতিয়া তেওঁলোকো স্বামীৰ লগতে যাবলৈ ওলাল। সৰ্ব্বসন্মতিক্ৰমে লৰাহঁতৰ ওপৰত সা-সম্পত্তি এৰি সকলোটি হাবিলৈ গৈ হৰি-আৰাধনাত কাল কটাবলৈ লাগিল।

ধ্যান-তপস্যাদিৰ মাজেদি গৈ এদিন ঋষিৰ অন্তিম কাল উপস্থিত হ'ল। তেওঁ পত্নীসকলক প্ৰবোধ দি ধ্যানত বহি চিৰকাললৈ চকু মুদিলে। পত্নী-সকলেও ওচৰৰপৰা কাঠ-খৰি গোটাই আনি চিতা সাজি পতিৰ শৱ সৎকাৰ কৰিলে আৰু তাৰ অন্তত পতিৰ লগতে সকলোটি। দেখাদেখিকৈ সতী গ'ল। পৰলোকত পতি-পত্নী সকলোৱে স্বৰ্গবাস কৰিলে নে নাই কোনেও নেদেখিলে, কিন্তু ইহলোকত বিভিন্ন-পীতিৰে তেওঁলোকে সঁচাকৈয়ে এখন স্বৰ্গৰাজ্যৰ সৃষ্টি কৰিছিল তাত হলে সেই কালৰ কাৰো সন্দেহ নাছিল

শিলং
১৯০৬

তীৰ্থযাত্ৰীৰ গুপ্ত প্ৰণয়

কথাটো শুনিলে হয়তো— বন্ধৰ ছেগত সস্তীয়া টিকেটত তীৰ্থভ্ৰমণ কৰি অহা যাত্ৰী দুই-এজনে উচপ খাই উঠিব। পিছে, ওজাৰ হাতৰ মুদ্ৰা দেখি, আঙুলিয়াই দেখুৱা বুলি ভুল বুজা তস্কৰৰ পলায়নৰ অভিনয়, গল্পই নকৰাব বুলি আমি ধৰি লৈছোঁহক। ভয়ৰ কাৰণ ইয়াত নাই, কাৰণ ই গল্পহে।

যি হওক, বৰ্ণনা কৰিব লোৱা গল্পটো পোৱা হৈছে পুৰণি বুৰঞ্জীৰ পাতত। বগা শুকান পাতে আঙুৰি ৰখা ক'লা কুঁহিয়াৰৰ ভিতৰত অমৃত-সদৃশ ৰস থকাৰ দৰে বুৰঞ্জীৰ কঠৈবা বৰ্ণনাবোৰৰ মাজত এই প্ৰেমৰ আখ্যানটো যে কেনেকৈ আছে ভাবিলে আচৰিত হ'ব লাগে। বুৰঞ্জীখনৰ নাম 'বাহাৰিস্থান-ই-গাইবি'। ই আমাৰ পুৰণি অসমীয়া বুৰঞ্জীবিলাকৰ দৰে মূল্যবান গ্ৰন্থ। সপ্তদশ শতিকাত জাহাঙ্গিৰ আৰু চাহজাহানৰ দিনত—মোগলবিলাকে অসম, কোচবিহাৰ, বঙ্গদেশ, বিহাৰ আৰু উৰিষ্যাত কিদৰে আক্ৰমণ কৰি যুঁজ চলাইছিল তাৰে যথাযথ বৰ্ণনা ইয়াত সুন্দৰকৈ দিয়া আছে। ই ফাৰ্চি ভাষাত লিখা এখন ধুনীয়া বুৰঞ্জী। লিখক মিৰ্জ্জা নাথান। ইংৰাজীলৈ অনুবাদ কৰিছে আমাৰ অসমৰেই এগৰাকী লব্ধপ্ৰতিষ্ঠ পণ্ডিত ড° ময়িদুল ইচলাম বৰাই। ইয়াত হাজো, চাংসাৰি, জটীয়া আদি ঠাইৰ সুন্দৰ ইতিবৃত্ত বৰ্ণোৱা আছে। তাহানি বৰ্ডিয়াৰ ইতিবৃত্ত লিখিবলৈ লওঁতে ইয়াত বৰ্ডিয়াৰো কিবা পুৰণি কথা থাকিব পাৰে বুলি ঘাটি-ঘুটি চাওঁতে—ওলাই পৰিল এই তীৰ্থ যাত্ৰীৰ প্ৰণয় কাহিনীটো! 'বাহাৰিস্থান-ই-গাইবি'ৰ লিখকেও কৈছে তেওঁ হেনো বুৰঞ্জীৰ পাতত এই গল্পটো পাইছিল। গল্পটো যিমানদূৰ সম্ভৱ মূল কাহিনীৰ ওপৰতে তৰি দিয়া হৈছে:—

এবাৰ এজন বৰ ধাৰ্ম্মিক লোক মক্কালৈ হজ কৰিবলৈ গৈছিল। গৈ থাকোঁতে থাকোঁতে বাটত তেওঁৰ বৰ ভাগৰ লাগিল। নালাগিব বা কিয়? জেঠ মহীয়া ব'দ, তাতে পথ হ'ল মৰুভূমিৰ মাজে মাজে, য'ত পানী এটোপা বা গছ এজোপা দেখিবলৈ পোৱা নাযায়। কেৱল চাৰিও পিনে বৌ-বৌৱা বালিৰ প্ৰকাণ্ড প্ৰান্তৰ! মুৰৰ ওপৰত টৌ-টৌৱা ব'দ।

ইফালে সিফালে মুখ ঘুৰাই চাওঁতে তেওঁ অকস্মাৎ দেখিবলৈ পালে—পকা ঠেকেৰাৰ দৰে ৰঙা গালেৰে আদ-বয়সীয়া এগৰাকী মহিলা হাতত লাখুটি লৈ গুদা ভৰিৰে মৰুভূমিৰ মাজৰ বাটেদি আগবাঢ়িব লাগিছে। ৰ'দ আৰু গৰমত উতলি থকা তেজবোৰে যেন গাল আদি সৰ্ব্ব অৱয়ৱতে ফাটি-যাওঁ ফুটি যাওঁ লগাইছে।

ধাৰ্ম্মিক ফকীৰৰ মনত খু-দুৱনি লাগিল—এই মহিলাগৰাকী নো কোন? কিয় বা এই আদ বয়সতে এনে কঠোৰ বৈৰাগ্য অৱলম্বন কৰিলে?

তেওঁ লাহেকৈ সুধিলে—আইদেউ, আপুনিনো কোন আৰু গুদা ভৰিৰে অকলে এইদৰে কিয় ভ্ৰমণ কৰিছে?

মহিলাগৰাকীয়ে মূৰ দাঙি চালে আৰু লাহেকৈ উত্তৰ দিলে—হে সাধু পথিক বন্ধু, তুমি মোৰ কথা নেসোধাই ভাল। কাৰণ মোৰ কথা শুনিব লাগিলে তোমাৰ কিবা অসুবিধা হব পাৰে।

ধাৰ্ম্মিক সাধুৱে কলে—নহয় আইদেউ, কওঁক। মোৰ বিপদলৈ ভয় নকৰিব। মই বিপদক ভয় কৰা বিধৰ যাত্ৰী নহওঁ।

মহিলাই উত্তৰ দিলে—মই এইদৰে গুদা ভৰিৰে এককুৰি তীৰ্থ পৰ্য্যটন কৰিব লাগে। এইখন চতুৰ্দশ তীৰ্থ। কিন্তু এনেকৈ ঘূৰিছোঁ বাৰু কম; ব'লা, গন্তব্য স্থান আগে পাওঁগৈ।—এইদৰে দুয়ো যাবলৈ লাগিল।

তীৰ্থস্থান পোৱাত সাধু গৈ মহিলাগৰাকীৰ ওচৰত বহি ললে আৰু তেওঁৰ তীৰ্থ ভ্ৰমণৰ গুপ্ত ৰহস্য শুনিবলৈ ব্যগ্ৰ হৈ পৰিল। মহিলাগৰাকীয়েও এবাৰ নোৱাৰি কবলৈ লাগিল—

মোৰ গোৰা গোস্থা বৰ ডাঙৰ আছিল। মইহে আজি কিবা বোলেনে—'হস্তী নৈ মাখি হলোঁ, গো-খোজত ডল গলোঁ, কচুত ভাঙিলোঁ আহি কাচি।' মোৰ বাবা আছিল ইচফবাইন্ চহৰৰ এজন 'মুফ্‌টি', বা 'জুৰিষ্ট', আৰু তাৰেই মাদ্ৰাচাৰ মৌলবী? ময়েই আছিলোঁ তেওঁৰ একমাত্ৰৰ সন্তান।

বাবাজানৰ অভস্ৰ ধন-সম্পত্তি। খাওঁতা কেৱল ময়েই বুলিলে হয়। সকৰেপৰা ধুনীয়া বুলি মোৰ এটা খ্যাতি আছিল। বাটৰ মানুহেও মোক দেখিলে মোৰ ফালে এবাৰ দৃষ্টিপাত নকৰাকৈ যাব নোৱাৰিছিল। সেই সময়ত মোৰ ৰূপ-গুণৰ কথা মানুহৰ মুখে মুখে হৈ পৰিছিল।

মই লাহে লাহে ডাঙৰ হৈ আহিলোঁ। ৰূপত ৰূপহী, গুণত সৰস্বতী। বাবাজানৰ তাকে দেখি অপাৰ আনন্দ! তেওঁৰ অজস্ৰ ধন-দৌলতেৰে ঢুকি পোৱা—সম্ভোগৰ সকলো সম্ভাৰ তেতিয়া মোৰ ক্ষুদ্ৰ ইঙ্গিতত [illegible]— অভাৱ-অভিযোগ কি বস্তু এই দুৰ্ন্মা [illegible] [illegible]-বিলাসত [illegible] ৰ বাটি আহিবলৈ ধৰিলোঁ। তুমি মোৰ কাৰণে তেতিয়া হৈ পৰিছিলা সুখ-সন্তোষ, ৰং-ৰহইচৰ আঁকৰ। তেতিয়া যেন লাগে চাৰিও ফালে যেন দেখোঁ, মোৰেই মাথোন জয়।

কালৰ চকৰি ঘূৰিবলৈ ধৰিলে [illegible] মোৰ গাঁত অনাহূত যৌৱনৰ বাউলি বা লাগি আহিল মন মতলীয়া হৈ উঠিল। শৰীৰত ঘনে ঘনে অপূৰ্ব্ব শিহৰণ অনুভৱ কৰিবলৈ ধৰিলোঁ। কিন্তু অন্তৰৰ গৰ্ব্বই মোক হলে এনে এটা ধাৰণা দিলে যেন মোৰ তুলনাত জগতত মোৰ লগত যোৰ হব পৰা যুৱক তেতিয়ালৈ [illegible] জন্ম নাচিল।

মোৰ বিয়াৰ প্ৰস্তাৱ একে একে কেইবাটাও আহিল। মই কিন্তু দৰা-জনৰ কথা শুনিয়েই বা কেনেবা কোনো ক্ষেত্ৰত দৰাজন দেখিয়েই প্ৰত্যেকটো প্ৰস্তাৱকে ইতিকিংৰেৰে দলিয়াই দিবলৈ ধৰিলোঁ। বহুত ধুনীয়া দৰাই হতাশাকে শেষ সম্বল কৰি মোৰ ওচৰৰপৰা ভগা হিয়াৰে উভতি গ'ল। বহুতে মাক-বাপেকে অপমানকে সন্মান বুলি গ্ৰহণ কৰিবলৈ বাধ্য হ'ল। মোৰ অন্তৰ কিন্তু অবিচলিত হৈয়ে ৰ'ল।

এদিনৰ কথা। বাতিপুৱা মই খিৰিকীৰ মুখত থিয় হৈ ওচৰতে থকা বাস্তাটোৰ চকু দি আছোঁ। একেই পুৱাৰ সূৰ্য্য-কিৰণ, তাতে পুলকভৰা মোৰ মন। শিমলু তুলা উৰি ফুৰাৰ দৰে মোৰো মনটো উৰি ফুৰিবলৈ ধৰিলে। দূৰত দৃষ্টি থৈ, কল্পনাকে সাৰথি কৰি লৈ—মনটো গৈ আছে, গৈ আছে! এনেতে মোৰ চকু পৰিল বাটেদি যোৱা এটা গাভৰু [illegible] নোদোকা চেহেৰাৰ থুলন্তৰ ডেকাৰ ওপৰত। মোৰ গাটো যেন কিবা এক নজনা কাৰণত শিঁয়ৰি উঠিল। সমস্ত শৰীৰতে তেজৰ স্ৰোত পিৰ-পিৰাই খোজা যেন লাগিল। মই খন্তেকৰ কাৰণে তেনেই বলিয়াৰ দৰে হলোঁ। ইয়াৰ আগতে কিমান দিন কিমান ধুনীয়া ধুনীয়া যুৱকক দেখিছিলোঁ, কেনেবা দিন হলে এনেকুৱা অনুভৱ কৰা নাছিলোঁ। মনত ধাৰণা হৈছিল যেন এই যুৱকজনেই

বিশ্বৰ সকলো যিনি সৌন্দৰ্য্য আৰু সকলো যিনি মাদকতা লৈ জন্মগ্ৰহণ কৰিছিল। সেই ডেকাজনে অকস্মাতে মোৰ ফালে চাই পঠিয়ালে। ময়ো চালোঁ। কিয় নাজানো তেওঁক মোৰ চিৰপৰিচিত যেন লাগিল। মই তেওঁক মনতে আনিলো আৰু তেওঁৰ লগত কথা পাতিলো।

পুৰ [illegible] দ্ৰাচ লৈ যায়। দুপৰীয়া আহে; আকৌ আবেলি যায়। মই [illegible] অকলে থাকোঁ। চন্দ্ৰনাথ-বাবুহঁতবোৰ থাকে, যদিও সিহঁত মোৰ লগৰীয়া নহয়। অকলে থাকি মনটো উদাস উদাস লাগে। সেইকে মই সেই যুৱকজনক সদায় [illegible] তাৰ তালৈ আহিবলৈ অনুৰোধ কৰিলো। [illegible] মান্তি হ'ল। [illegible] অনুৰোধ উপেক্ষা কৰা তেওঁৰ [illegible]। আমি দুয়োকে দুয়ো দিনৰ চৌবিশ ঘন্টাত [illegible] বন্ধনেৰে ধৰিলোঁ। খন্তেকৰ বিচ্ছেদো [illegible] অসহ্য হৈ উঠিল।

[illegible] ছাইহক, এনেতে [illegible] এখন কিতাপ নিবলৈ। যুৱকজনে [illegible] মই কলোঁ, বৰা। [illegible] দেখি মই তেওঁক [illegible] ঘাবা- [illegible] খুলি দিলো। [illegible] আহি কিতাপ এখন [illegible] পুনৰ গুচি গ'ল।

মই [illegible] বন্ধ [illegible] ধামাটোৰ সাঁফৰখন খুচাই দেখোঁ মোৰ প্ৰণয়িক বন্ধু যুৱকজন মোক ঠগ লগাই এৰি, ধামাৰ ভিতৰতে [illegible] আছে! মোৰ শৰীৰ ভয়ত জৰ-ঘামে ঘামিল। মুখ শুকাই গ'ল [illegible] চিন্তা কৰিলে। [illegible] সৰিয়হৰ ফুল দেখিবলৈ ধৰিলোঁ।

বিপদত ধৈৰ্য্যই পৰম বল বুলি ভাবি বাটলৈ চাই চাই চিন্তা কৰি থকোঁতে দেখিলো - আমাৰ আবিচিনিয়ান ধোবা-চহিচ এটা সেই পিনেদি গৈছে। মই তাক ইঙ্গিতেৰে মাতিলোঁ। সি আহিল। মই তাক খোটালী-টোলৈ মাতি নি গোপনে কলোঁ যে সি যদি কাকো নোকোৱাকৈ যুৱক-টোৰ শটো কাপোৰেৰে মেৰিয়াই নি নদীৰ এচুকত কবৰ দিব পাৰে

তেন্তে তাক যি লাগে মই তাকে দিম। সি প্ৰথমে টকা-পইচাৰ কথা কলে। মই দিলোঁ। তাৰ পিছত সোণৰ মোহৰ আৰু ধুনীয়া কাপোৰ-কানি খুজিলে। মই তাকো দিলোঁ। তাৰ পিছত পাষণ্ডই মোৰ ওচৰত অসৎ প্ৰস্তাৱ দাঙি ধৰিলে! মই মান্তি নহলো। তেতিয়া সি কলে যে সি গৈ এই নৰহত্যাৰ কথা তেতিয়াই ৰাষ্ট্ৰ কৰি দিব। মোৰ ভয় লাগিল। চকুৰেদি চকু-লো বাগৰি আহিল। চকু-লো টুকি টুকি সম্মানতকৈ ডাঙৰ একো হব নোৱাৰে বুলি ভাবি মই অগত্যা তাৰ প্ৰস্তাৱতেই মান্তি হলো। তাৰ কথামতেই কাম হ'ল। সেই সময়ত মোৰ শৰীৰৰ আৰু মনৰ অৱস্থা কি হৈছিল কোৱা অসম্ভৱ! যি হওক, পাপী। মৰকৰ শটো নি বাৰীত কবৰ দিলে।

সেইদিন সেইদৰেই গল। তাৰ পিছত মই অমৰ সেই নৰপী চহিচ-টোক যথোচিত শাস্তি দিম বুলি ভাবিছিলো, কিন্তু সাহস নহ'ল। জানোচা সকলো কথা সদৰি হৈ পৰে এই ভয়ে মোক বাধা দিলে। দুৰাৰোগ্য ৰোগৰ দৰে মই সকলো সহি থাকিলো। সি দৰ ছেগ লৈ মন্দমতি লোকে কেনেকৈ নিজৰ অভিপ্ৰায় সিদ্ধ কৰে তাক সেই ঘটনাই মোক বুজালে।

দিনদিয়েকৰ পিছৰ কথা। সেই আবিচিনিয়ান চহিচটোৰ লগত ওচৰা-উচৰিকৈ আৰু নটা চহিচ থাকে। তাৰে সৈতে সিহঁত ভৰ্ত দহোটা। সকলোবোৰৰ লগালগি ঘৰ। ঘৰ নামতহে। খোৱাথোপিকৈ বন্ধা জুৱুৰি। দিনৰ দিনটো খোঁৰা চলাই আহি তাতে সিহঁতে অনেপ আমোদ প্ৰমোদ কৰে। মদ খায়; গোপনে বাইজী আনে; নাচে, গীত গায় হাঁহে আৰু কত ৰং-ৰহইচ কৰে।

সিদিনা সিহঁতে দহজনে মিলি নজনী বাইজী আনি নিজ নিজ খোঁটা-লীত ৰাখিছে। আবিচিনিয়ানটোৰ নাই। আবিচিনিয়ানটোৱে ক'লে— আটায়ে একেলগে ক্ষূৰ্ত্তি কৰোঁহক ব'লা। মোৰ বাইজী নাই বুলি ভয় নকৰিবা। মোৰ তোমালোকতকৈও ভাল বাইজী আছে। লাগিলেই আনিম। আনিব লাগিলে তোমালোকৰ চকু থিৰ হৈ যাব!

সকলোৱে বুজি দেখিলে আটায়ে লগ হৈ মদ খালেহে আৰাম লাগে।

অকলে খোৱাতকৈ লগেভাগে খালে এই বস্তুৰ সুখটো সম্পূৰ্ণ কৈ পোৱা যায়। গতিকে সিহঁতে সকলোৱে মিলি উনৈশটা হৈ এটা মুকলি কোঠাত বহি ললে আৰু আৰম্ভ কৰি নাচ-গান কৰি পিবলৈ লাগিল।

খ'ই আছে, খাই আছে; এনেতে সেই পাষণ্ড, মোৰ পূৰ্ব্বৰ চিনাকী আবিচিনিয়ানটোৰ হঠাৎ মোলৈ মনত পৰিল। সি মদৰ জালত সকলো পাহৰি আমাৰ ঘৰৰ পৰিবেষ্টনত সেমাল আৰু পোনেই মই শুই থকা খোটালীটোৰ ওচৰলৈ গৈ খিৰিকীত টকা দিবলৈ লাগিল। মই 'কোন' বুলি সোধাত সি মোক বাহিৰলৈ মাতিলে। মই খিৰিকী খুলি নিদিলো। সি তেতিয়া বান্তাৰ পৰা শিলগুটি দলিয়াই দি কবলৈ ধৰিলে—সিদিনা তোমাৰ কথামতে মই মনুহটো কাৰ দি থৈছোঁ। তুমি হুক দিয়া মতে মই কাকো কোৱা নাই। আজি তাক মই থাপি উলিয়াম। তুমি ওলাই নাহিলে মই আজি শিলগুটি মাৰি তোমাৰ খিৰিকী ভাঙিম আৰু সকলো কথা সকলোৰে আগত কৈ দিম।

মোৰ আকৌ ভয় লাগিল। গম লৈ জানিলোঁ বাবাজান তেতিয়াও ঘোৰ টোপনিত। মই অগত্যা দুৱাৰখন খুলি হাতত-সাৰে ভৰিত-সাৰে বাহিৰলৈ ওলাই আহিলোঁ। কুলাঙ্গাৰ আবিচিনিয়ানটোৱে দৌৰি আহি মোক তাৰ মস্ত বাহু দুটাৰে আঁকোৱালি ধৰি, শেনে চৰাই-পোৱালি নিয়াৰ দৰে নি সকলোৰে আগত হাজিৰ কৰিলেগৈ। চহিচাপৰে মোক সিহঁতৰ গৰাকিনী বুলি ভালকৈ জানে। বাইজীসকলো অনেকে মোক চিনে। সকলোৱে মদৰ জালত হাঁহিৰ ৰোল তুলি দিলে আৰু কবলৈ ধৰিলে—তুমিও আমাৰ দৰেই? বাঃ বাঃ দুনিয়া! আহা, আহা খোৱা, পিয়া, স্ফূৰ্ত্তি কৰা! দুনিয়া এনেকুৱাই! কোনো দেখাত, কোনো নেদেখাত! কোনো বাহিৰত, কোনো ভিতৰে ভিতৰে, নজনাকৈ! হাঃ হাঃ হাঃ!

মই দেখিলোঁ কথা বিষম। তথাপি মৰনত শৰা দি নাক মুচৰি বুদ্ধি এটা উলিয়ালেঁ। মই কলোঁ—মোৰ আজি গা ভাল নহয় অ'। মই তহঁতৰ আজি বেহেৰায়ে হওঁ। —সিহঁতেও মান্তি হোৱা যেন দেখুৱালে।

মই তেতিয়া সিহঁতক মদ ঢালি দিবলৈ ধৰিলোঁ। সিহঁতেও মোৰ হাতে মদ খাবলৈ পাই স্বৰ্গ হাততে পালে। শেষত মই সিহঁতক ইমান সঘনে মদ দিবলৈ ধৰিলোঁ যে সিহঁতে মদ খাই খাই অচেতন হৈ পৰিল। সকলোটি টোপনিত লালকাল হোৱাৰ দৰে হ'ল।

মই তেতিয়া ভাবিলোঁ—ইহঁত জীয়াই থাকিলে মোৰ কলঙ্ক এদিন বাহিৰ হবই হব। গতিকে এই ছেগতে ইহঁতক শেষ কৰি থোৱাই ভাল। জহ আৰু শত্ৰুৰ বোলে কণ-কঠীয়া নামাৰিলে বিপদ থাকে। এই ভাবি মই দা এখন লৈ সিহঁতৰ সকলোটিকে ধপিয়াই ধপিয়াই কাটিলোঁ। এইদৰে ডেৰশটা প্ৰাণী হত্যা কৰা হ'ল। আগতেও এটা! মুঠ কুৰিটা!

পিছদিনা গাঁৱৰ ঠাইবোৰত হাহাকাৰ লাগি পৰিল! কিন্তু মোক সন্দেহ কৰে কোনে?

তাৰ কিছু দিনৰ অন্তত মই ভাবিলোঁ—তিৰোতাৰ ৰূপেই শত্ৰু; আৰু এই ৰূপ, লতাই গছক আশ্ৰয় কৰি থকাৰ দৰে কোনো পুৰুষবিশেষক আশ্ৰয় কৰি থাকে। নাৰীৰ সৌন্দৰ্য্যৰ পুৰুষ অৱলম্ব উপাংগযেহে নহয়, বখীয়াও। নহলে নাৰীৰ পদে পদে বিপদ। গাতকে মযো বিয়াৰ বন্ধনত সোমোৱাই ভাল। এই ভাবি মই বিয়া সোমালোঁ। এটা অ টক-ধুনীয়া স্বাস্থ্যৱান [illegible] মোৰ [illegible] হ'ল। কন্যাৰ বোলে সদায় ৰূপেই কাম্য। গা [illegible] টালোঁ। [illegible] দৰে মনো [illegible] অঙ্ক [illegible] মোৰ সাধ্য নহ'ল; ইচ্ছাও নগ'ল।

[illegible] প্ৰথম [illegible] কথা। মোৰ পক্ষে যৌৱনৰ প্ৰথম আস্বাদ [illegible] পাইল নিশা! মোৰ স্বামী [illegible] উঠি [illegible] তকৈ [illegible] উঠিল। মই [illegible] কৰি [illegible]লোঁ। মোৰ স্বামী [illegible] মহাবৰ ভক্ত তাক মই আগতে নাজানিছিলোঁ। বিছনাত উঠি [illegible] মুখৰ মলমলীয়া গোন্ধ পাই সকলো বুজিলোঁ। মোৰ ভাল [illegible]। [illegible] যে উপায় নাই। [illegible] অলপ পৰ ইফালে সিফালে কিবা কিবি [illegible] স্বামীৰ টোপনি আহিল। নাকেৰে ঘোৰ-ঘোৰাবলৈ ধৰিলে। তেতিয়া কিয় জানো-মই ভাবিলোঁ যদি মোক কেনেবাকৈ অসতী বুলি গম পায় তেনেহলে মোৰ কি গতি হব? এই চিন্তাই মোক তেনেই ব্যাকুল কৰি তুলিলে! মই অস্থিৰ হৈ পৰিলোঁ।

ভাবি ভাবি মই এটা বুদ্ধি সাজিলোঁ। মোৰ পৰিচাৰিকাগৰাকী আছিল ১৭।১৮ বছৰীয়া। তাই দেখাত বেছ ধুনীয়া আৰু কিছু পৰিমাণে মোৰ দৰেই। অনেক সময়ত মানুহে-পেটত সন্দেহ ওপজাতেই নেকি-মোক সোধে তাই মোৰ কিবা সম্বন্ধীয়া নেকি? মোৰ ভনী বুলি সন্দেহ কৰিবলৈ

কাৰো সাধ্য নহয় তাইৰ সাধাৰণ সম্পৰ্কৰ দেখি। বাহিৰলৈ ওলাই আহি তাইক মই নানা কথা বুজালোঁ। [illegible] পিছত মোৰ গহনা আৰু পোচাক-[illegible]ৰ পিন্ধাই দি মোৰ স্বামীৰ [illegible] শুই থাকিবলৈ কলোঁ। তাই মোৰ বৰ অনুৰক্তা। মই যি কলোঁ [illegible] সেইমতে কৰিলে। সাজ-পাৰ পিন্ধি গৈ [illegible] মই শিকাই দিয়া মতে শুশ্ৰূষা কৰিলে। স্বামীয়েও মদৰ জালত তাইক মই বুলি ভাবিলে আৰু [illegible] হাবৰ অন্তত ক্লান্ত হৈ পুনঃ নিদ্ৰামগ্ন হ'ল।

মই তাইক [illegible] কৈছিলোঁ যে মোৰ স্বামীৰ [illegible] আহিলে তাই বাহিৰলৈ আহি [illegible] মোক মোৰ [illegible], অলঙ্কাৰ আদি ঘূৰাই দিব। [illegible] নাহিল। [illegible] থাকিল। [illegible] মোৰ [illegible] দখল কৰি লৈ পাৰিছিল।

[illegible] হৈ মই [illegible] গৈ [illegible] সাজ-পাৰবোৰ খুলিলে। [illegible] ছবি শুই [illegible]! [illegible]; [illegible] সামান্য [illegible]।

[illegible] মানচৰ [illegible] লগা [illegible] ভাল [illegible] বা [illegible]। [illegible] বুলি মোৰ ধাৰণা হ'ল। [illegible] লাগে—এই [illegible] মই পোনেই তাইৰ [illegible] [illegible] থিতাতে মাৰ থাকিল। মোৰ স্বামী [illegible] একো গমকে নাপালে।

[illegible] তাইক [illegible] মতে [illegible] পৰা নমাই মাটিত থলোঁ আৰু [illegible] পাৰ-কানিবোৰ খুলি [illegible] পিন্ধি ললোঁ। তাৰ পিছত [illegible] টানি নি আমাৰ [illegible] ঘৰটোৰ খৰিবোৰৰ [illegible] তুলিলোঁ। তাৰ পিছত আমাৰ শোৱা খোটালীৰ পৰা চাকিটো নি তাৰপৰা তেল ঢালি দি খৰি থোৱা ঘৰটোত জুই লগাই দিলোঁ। ঘৰ পুৰি গ'ল। পৰিচালিকাও ভস্মীভূত হ'ল। মই হাতত সাৰে [illegible] আহি বিছনাত শুই থাকিলোঁ। মোৰ গা কঁপিব ধৰিলে। সময়ে বাহিৰত হাই-উৰুমি শুনি সাৰ পাই উঠিল আৰু মোক মৰম কৰিলে! মোৰ গাৰ কঁপনি কিন্তু

তেতিয়াও মৰা নাছিল। স্বামীয়ে কিন্তু মোৰ সেই কঁপনি জাৰত হৈছিল নে ডৰতহে তাৰ কোনো গুংসূত্ৰই পোৱা নাছিল। ফলত মোৰ প্ৰতি মৰম তেওঁৰ বাঢ়িছিলহে।

এইদৰে মই সংসাৰ আৰম্ভ কৰিলোঁ। মোৰ হলে ইমান বছৰৰ সুদীৰ্ঘ বৈবাহিক জীৱনতো সা-সন্ততি একো নহ'ল। দেখাত আমাৰ স্বামী-স্ত্ৰী দুয়োৰো জীৱন সুখতেই অতিবাহিত হৈছিল। কোনেও নজনাকৈ মোৰ অন্তৰত কিন্তু এই একুৰি এটা নৰ-নাৰী বধৰ পাপৰ জুইকুৰা সদায় জ্বলি আছিল। কেতিয়াবা মই যেন এই পাপৰ বিভীষিকাত কঁপি উঠোঁ। মনত মোৰ লেশমাত্ৰও শান্তি নাছিল। তাথাপি কিন্তু মনৰ কথা খুলি কবলৈ কোনো দিন সাহস নহৈছিল।

পিছে, এদিন এজন সাধু পীৰ চাহেবৰ আগত মই মোৰ অন্তৰৰ সকলো কথা খুলি কলো। এনেবোৰ পাতকৰ কথা কৈ সৈ কচাত তেওঁৰ মোৰ প্ৰতি করুণা উপজিল। তেওঁ মোক এই পাপৰ প্ৰতিকাৰৰ অৰ্থে একৈশখন তীৰ্থ পদব্ৰজে পৰ্য্যটন কৰিবলৈ উপদেশ দিলে। সেইমতে মই মোৰ স্বামীৰ পৰা তীৰ্থ পৰ্য্যটনৰ কাৰণে অনুমতি লৈ এই কাৰ্য্য আৰম্ভ কৰিছোঁ। এতিয়া চৈধ্যখন তীৰ্থ ভ্ৰমণ কৰা হ'ল। আৰু সাতখন বাকী। সেই সাতখন ভ্ৰমণ কৰিলেহে মোৰ তীৰ্থ ভ্ৰমণৰ অন্ত পৰিব। মই ভ্ৰমণ কৰিবো থাছোঁ! থাকিমো।

কথা শেষ হ'লত সাধুজনে ক'লে—আইদেউ, আপুনি যি কৈছে ই আপোনাৰ অন্তৰৰ সাধুতাৰ পৰিচয় দিছে। তীৰ্থযাত্ৰীসকলৰ বেছি ভাগেই তীৰ্থ কৰে পুণ্যৰ আশাতকৈও পাপৰ তাড়নাতহে। বাৰু বিদায়হে আইদেউ, আমাক গল্পই মুগ্ধরায়। মযো তীৰ্থ-যাত্ৰীহে। মোৰো জীৱনৰ অতীত কাহিনী মনত পৰিলে—আমাৰ তীৰ্থ ভ্ৰমণ কৰাই নহব! গতিকে, বিদায়! মাতৃ, বিদায়!

প্ৰতিধ্বনি হ'ল—বিদায়!

বড়িয়া

১৯৫৩

ৰাণী এনিবলীনৰ বিচাৰ

ইতিহাস ৰমণীয় আৰু আকৰ্ষণীয় হয় তাত থকা আকৰ্ষণীয় আখ্যানবোৰৰ কাৰণে। হাজাৰ হাজাৰ বছৰৰ আগতে কোনো এখন যুঁজত কোন হাৰিছিল, কোন জিকিছিল, তাৰ বিৱৰণ আমাৰ কাৰণে একো আকৰ্ষণীয় সামগ্ৰী নহয়; কিন্তু সেই যুগৰ মানুহবিলাকে কেনেকুৱা বস্তুৰ কাৰণে যুঁজ কৰিছিল তেওঁলোকৰ দৈনন্দিন জীৱন কেনেকুৱা আছিল, মিলা-প্ৰীতি, প্ৰেম-ঘৃণা আদিৰ কাৰ্য্যত তেওঁলোক কেনে ধৰণৰ আছিল আদি কথাবোৰেহে আমাক বেছিকৈ আকৰ্ষণ কৰে আৰু প্ৰকৃততে এইবোৰ কথা ইতিহাসৰ জীৱনী-শক্তিৰ দৰে। ইংলণ্ডৰ ৰাণী এনিবলীন কেতিয়াবাই মৰিল; ৰাজদণ্ডত তেওঁৰ শিৰশ্চেদ হ'ল — তাত আচৰিত হব লগীয়া একো নাই। কাৰণ, বিচাৰৰ দেৱতাজনাকো অন্ধ বুলি মানি লোৱা হয়। মানুহ জন্মিলেই মৰে; গতিকে ৰাণী এনিবলীনৰ মৃত্যুও এটা সাধাৰণ ঘটনা; কিন্তু কি কাৰ্য্যৰ কাৰণে তেওঁৰ শিৰশ্চেদ হ'ল, মহাৰাণী হৈও কেনেকৈ তেওঁ ৰজাৰ কটোৱালৰ হাতত প্ৰাণ শেধাবলগীয়া হ'ল, সেই ঘটনাটোহে যুগযুগান্তৰ ধৰি আকৰ্ষণীয় হৈ থাকিব।

ৰাণী এনিবলীনৰ বিচাৰ ষোড়শ শতিকাৰ (১৫৩৩ খৃ;) মাজ ভাগৰ ইংৰাজসকলৰ বিচাৰৰ প্ৰতীক স্বৰূপ। সুবিচাৰৰ কাৰণে ইংৰাজসকলৰ সুখ্যাতি আছে। ৰাণী এনিবলীনৰ বিচাৰে কিন্তু 'যাৱৎ-চন্দ্ৰ-দিবাকৰ' ইংৰাজ ৰজা এজনাৰ মোহান্ধ বিচাৰৰ অখ্যাতিহে ঘোষণা কৰি থাকিব। 'দোষীয়ে গমকে নাপালে, ইফালে তেওঁৰ বিচাৰ হৈ গ'ল আৰু মৃত্যুদণ্ডতো তেওঁ দণ্ডিত হ'ল'— এনে ধৰণৰ কথা।

তেতিয়া ইংলণ্ডৰ ৰাজসিংহাসনত অষ্টম হেন্‌ৰী আছিল ৰজা। ৰজা আৰু 'চাৰ্চ্চ' (গিৰ্জ্জা) দুয়ো সেই সময়ত সমান ক্ষমতাশালী আছিল। মানুহে ৰজাক যিদৰে ভয় কৰিছিল ধৰ্ম্মৰ গুৰিয়াল পোপকো ঠিক সিমানেই ভয় কৰি চলিছিল। কোনো কোনো ক্ষেত্ৰত পোপৰ শাসন ৰজাৰ শাসনতকৈও কটকটীয়া বিধৰ আছিল। পোপৰ ধৰ্ম্মাদেশ মতে কোনেও দেশত এজনীৰ

বিদ্যমানে অন্য এজনী তিৰোতা বিধিমতে বিয়া কৰিব নোৱাৰিছিল, দ্বিতীয় দাৰপৰিগ্ৰহ কৰিব লগীয়া হলে প্ৰথম পত্নীক বিধিবিহিতভাৱে পৰিত্যাগ কৰিহে তাকে কৰিব পাৰিছিল। সেই পৰিত্যাগৰ কাৰণেও কিছুমান বন্ধা-ধৰা নিয়ম আছিল। বিশেষ কিছুমান কাৰণত পত্নীক দোষী বা দুষ্টা বুলি সাব্যস্ত কৰিব পাৰিলেহে বিবাহ-বিচ্ছেদ গ্ৰাহ্য হৈছিল। পত্নীয়েও বিবাহ-বিচ্ছেদৰ কাৰণে প্ৰস্তাৱ তুলিব পাৰে, নিয়ম আছিল; কিন্তু কাৰ্য্যক্ষেত্ৰত তেনে প্ৰস্তাৱ প্ৰায় কোনো দিনে উত্থাপিত নহৈছিল। ৰজা অষ্টম হেনৰীয়ে পোপৰ এই ক্ষমতা খৰ্ব্ব কৰিবলৈ নানা প্ৰকাৰে যত্ন কৰিছিল; কাৰণ অষ্টম হেনৰীৰ অভীষ্ট সিদ্ধিৰ পথত পোপৰ এই ক্ষমতা ঘোৰ কণ্টকৰূপে থিয় দিছিল। কামুকতাত অষ্টম হেনৰীৰ নাম সকলোৰে মুখত আজিকোপতি এটা জনপ্ৰবাদৰ দৰে হৈ আছে।

পোপৰ তথা চাৰ্চৰ এই ক্ষমতা খৰ্ব্ব কৰিবলৈ ৰজা অষ্টম হেনৰীয়ে যিবাৰ মনস্থ কৰিছিল [illegible] যুৰোপৰ এটা নতুন অধ্যায়ৰ সূচনা কৰিছে। [illegible] ক্ষমতা কাঢ়ি আনি নিজৰ হাতত ললে [illegible] নেতা চাৰ টমাচ মুৰ (Sir Thomas More) আৰু ৰচেষ্টাৰৰ বিচপ (Bishop of Rochester)ক তেওঁ নিৰ্মমভাৱে হত্যা কৰিবলৈকো [illegible] নাছিল। এইদৰে চাৰিওফালে বিভীষিকা সৃষ্টি কৰি [illegible] ৰজাই নিজে উপাধি ললেছিল — ধৰ্মৰাজ বা ধৰ্মপাল (Defender of the Faith)। এই পৰিস্থিতিত ৰজাৰ ইচ্ছাৰ বিৰুদ্ধে কোনো মাত এষাৰ মাতিবলৈ সাহ নকৰা হ'ল। চাৰ্চৰ সৰ্বময় কৰ্তৃত্ব তেতিয়া প্ৰকৃততে তেওঁৰ হাতলৈ আহিল। কৰ্তৃত্ব লভৰ এনে লোলুপতাৰ গুৰিত আছিল তেওঁৰ অন্তৰৰ নিত্য নৱ-কামী দুৰ্নিবাৰ ৰতি বুভুক্ষা। ৰাণী এনবলীনৰ বিবাহ কাহিনী তাৰে এটি দৃষ্টান্ত।

অষ্টম হেনৰীৰ প্ৰেয়সী পত্নী আৰু প্ৰথম ৰাণী আছিল আৰাগণৰ ৰাণী কেথেৰিণ (Queen Catherine of Aragon)। কেথেৰিণ ৰূপৱতী আৰু গুণৱতী ৰমণী আছিল; কিন্তু সেই ৰূপ-গুণে অষ্টম হেনৰীৰ নিতে নৱ ৰূপ-পিয়াসী অন্তৰ পৰিতৃপ্ত কৰি ৰাখিব পৰা নাছিল। কামুক ৰজা হেনৰী ফুলনিৰ ভ্ৰমৰৰ দৰে সদায় নানা ফুলৰ ফুল-মধু গ্ৰহণতে ব্যস্ত আছিল। পিছত তাকে কৰোঁতে কৰোঁতে এপাহ ফুলত তেওঁ ভালকৈয়ে আবদ্ধ হ'ল। এনি-

বলীন নামৰ এগৰাকী দীপলিপ ষোড়শীত তেওঁ মন-প্ৰাণ সমৰ্পণ কৰিলে। তেওঁ ক্ৰমে এনে অনুভব কৰিবলৈ ধৰিলে যে কুমাৰী এনিবলীনক তেওঁ বৈধ-ভাৱে তেওঁৰ লগত ৰাজপাটৰ বহুৱাবই লাগিব। দিনে-নিশাই, শয়নে-সপোনে সদায় সকলো সময়তে তেওঁ প্ৰাণৰ এনিবলীনক যেনেকৈ বিবাহ বন্ধনত বান্ধি খুৰাই আনি নিজৰ কৰি লব, এনে চিন্তাই তেওঁক ব্যস্ত কৰি তুলিলে। এইখিনিতেই পুনঃ কৈ থোৱা ভাল যে এজনী বিবাহিত, পত্নীৰ বিচ্ছেদ বা অন্য এজনী গ্ৰহণ কৰিবলৈ অনুমতি নিদিয়াৰ ক্ষমতা সেই সময়ত ইংলণ্ডৰ পোপৰ হাতত আছিল।

এনিবলীনক বিয়া কৰাবলৈ হাবিয়াস কৰি তাৰ বাবে আদেশ বিচাৰি ৰজা অষ্টম হেনৰী চাৰ্চ্চৰ ওচৰ চাপিল। চাৰ্চ্চৰ অধিকৰ্ত্তা পোপে কিন্তু একোপধ্যে ৰজাক তেনে অবৈধ কামৰ বাবে অনুমতি নিদিলে। ৰজাই তেতিয়া নিৰুপায় হৈ চাৰ্চ্চৰ পুৰোহিত-বিচপৰ সহায় বিচাৰিলে। নানা প্ৰকাৰৰ প্ৰলোভন ৰজাই তেওঁলোকৰ আগত গোপনে দাঙি ধৰিবলৈ ধৰিলে। ৰাজশক্তিৰ ৰাজসিক প্ৰলোভনবোৰে পুৰোহিতসকলক বিচলিত নকৰাই নাথাকিল। তেওঁলোকে সেই প্ৰলোভনৰ বশৱৰ্ত্তী হৈ এদিন প্ৰকাশ্যে কবলৈ বাধ্য হ'ল যে ৰাণী কেথেৰিণৰ লগত ৰজাৰ পূৰ্ব্বে যি বিয়া হৈছিল, সেই বিবাহ-বন্ধন নাকচ কৰিবলৈ তেওঁলোকে যথেষ্ট কাৰণ আৰু প্ৰমাণ পাইছে। তেওঁলোকৰ মতে ৰাণী কেথেৰিণক অষ্টম হেনৰীৰ ককায়েক আৰ্থাৰে বিয়া কৰাইছিল। আৰ্থাৰৰ মৃত্যুৰ অষ্টম হেনৰীৰ অভিলাষ অনুসাৰেই 'চাৰ্চ্চে' এবাৰ সেই বিয়া বিধিমতে হোৱা নাছিল বুলি ঘোষণা কৰিছিল এতিয়া তেওঁলোকে পুনঃ বিচাৰ কৰি পালে যে সেই বিয়া সম্পূৰ্ণ হৈছিল আৰু তাৰেই ফলত অষ্টম হেনৰীৰ লগত হোৱা তেওঁৰ বিয় নিষিদ্ধ। সেইবাবে তেওঁলোক সকলোৱে বিচাৰত একমত হৈ ৰজাৰ সেই বিবাহ বন্ধন বাতিল হ'ল বুলি ঘোষণা কৰিলে। পোপে বিচপসকলৰ সেই অভিমত গ্ৰহণ কৰিবলৈ বাধ্য হ'ল। ৰাণী কেথেৰিণে তেওঁৰ বিৰুদ্ধে হোৱা বিচাৰৰ একো শুংসূত্ৰকে নাপালে। ৰজাই বিচাৰৰ সেই সিদ্ধান্তমতে ৰাণী কেথেৰিণক পৰিত্যাগ কৰিলে আৰু এখন্তেকো বিলম্ব নকৰি গোপনে গোপনে গৈ তেওঁৰ প্ৰাণৰ পুতলা ষোড়শী এনিবলীনক বিয়া কৰাই ঘৰলৈ আনিলে।

ৰাণী কেথেৰিণৰ ঠাই এতিয়া ৰূপহী এনিবলীনে অধিকাৰ কৰিলে। এনিবলীনক ৰজাই মুহূৰ্ত্তৰ কাৰণেও নেৰা হ'ল।

এইদৰে দুটি বছৰ সুখে-সন্তোষে উকলি গ'ল। বিয়াৰ তৃতীয় বছৰত এটি সন্তান জন্মাৰ পিছৰেপৰা ৰজাৰ মন ক্ৰমে বিগৰি আহিল। এনিবলীনে তেওঁক সুখ দিব নোৱাৰা হ'ল। দুয়োৰো মাজত মতভেদ হৈ আহিবলৈ ধৰিলে। ৰজাই তেতিয়া ন-কৈ আৰু এগৰাকী বিয়া কৰাবলৈ মন মেলিলে।

কথাতে কৈছে—'ৰজ মন গজ-মন, য'তে ইচ্ছা ত'তে চন'; অৰ্থাৎ মন কৰিলেই চন কৰিব পাৰি বোলা কথাটো দুয়োৰে ক্ষেত্ৰত খাটে। ৰজা হেন্‌ৰীয়ে এইবাৰ জেন চিমুৰ (Jane Seymour) নামৰ যুৱতী এগৰাকীক বিয়া হব বুলি মনতে পাঙিলে; কিন্তু কাৰ্য্যসিদ্ধি কি উপায়ে হব তাৰ কাৰণে তেওঁ পুনঃ যত্নন৷ জল্পনা কৰিব লগীয়াত পৰিল। প্ৰথম সমস্যা হ'ল— তেওঁৰ এনিবলীনৰ লগত হোৱা বিবাহ-বন্ধন ছিন্ন কৰা যায় কেনেকৈ? সেয়ে নহলে নতুন বিয়া তেওঁৰ কাৰণে যে নিষিদ্ধ হব!

ৰজাৰ কথা কবই নালাগে, উচ্চ ক্ষমতাত অধিষ্ঠিত থকা বিষয়াসকলৰ মন যোগাই কাম কৰিবলৈয়ে তলতীয়া অনেক কৰ্ম্মচাৰী সততে কেনেভাৱে ব্যস্ত থাকে, দৈনন্দিন জীৱনত অলপ মন কৰিলেই সদায় দেখা যায়। ৰজা অষ্টম হেন্‌ৰীৰ ক্ষেত্ৰতো সেয়ে হ'ল।

পৰিচাৰিকাবোৰে ৰজাৰ মন যিদৰে বুজে অন্যে তেনেকৈ বুজিব নোৱাৰে। হেনৰীৰো এগৰাকী পৰিচাৰিকাই ৰজাৰ মনোভিলাষৰ সম্ভেদ পাই ৰজাৰপৰা বিশেষ অনুগ্ৰহ লাভ কৰাৰ আশাত মৰণত শৰণ দি এদিন তেওঁৰ ওচৰলৈ গৈ কলে—"মহাৰাজ, অতি গোপনীয় কথা এটা শুনি মোৰ মনটো উচপিচাই আছে। মহাৰাজে অভয় দিলে কথাটোৰ ভেদ ভাঙিব পাৰো।" ৰজাই কলে—"তোৰ 'কোনো অপৰাধ নধৰোঁ বাৰু। কি মনত আছে নিঃসন্দেহে ক।" ৰজাই নিভয় দিয়াত তাই কলে—"আপোনাৰ ৰাণী-আইৰ হেনো পৰপুৰুষত আসক্তি হৈছে। কথাটো হলে ৰাষ্ট্ৰ হৈ পৰিছে।"

ৰজাই পানীত পৰা মানুহে ওপঙি-অহা গছ পোৱা দিলে আৰু তাতেই ধৰি তাৰ শম খেদিবলৈ ধৰিলে। বহুত অনুসন্ধানৰ অন্তত ওলাল যে লেডী উৰিংফিল্ড নামে এজনী মহিলাই গোনতে কথাটো উলিয়াইছিল।

ৰজাই বহুত কষ্ট কৰি নিজে কিবা খবৰ পোৱাৰ আশাত গুপ্তভাৱে গৈ লেডী উৱিংফিল্ডৰ ঘৰ পালে; কিন্তু পালে কি হব? 'অতি বেজাৰৰ কথা অতি অসহনি'—ইতিমধ্যে লেডী উৱিংফিল্ড মৰি ভূত হৈ গৈছে; কিন্তু এই অৱস্থাতো তেওঁ একেবাৰে নিৰাশ নহ'ল। কাৰণ, তেওঁ অনু-সন্ধান কৰি জানিব পাৰিলে যে মৰাৰ আগতে লেডী উৱিংফিল্ড বোলা তিৰোতাজনীয়ে ৰাণীৰ গুপ্ত-প্ৰেমিক কেইজনৰ নাম হেনো কৈ গৈছিল। সেইমতে প্ৰথমজন হ'ল— লৰ্ড ৰচফল্ড (Lord Rochfold)। এওঁ ৰাণী এনিবলীনৰ সহোদৰ ভ্ৰাতা। বাকী চাৰিজন ভদ্ৰলোক ৰাজপৰিয়ালৰে লোক; নাম— নৰিচ (Norris), ৱেষ্টন (Weston), ব্ৰেৰিটন (Brereton) আৰু গায়ক মাৰ্ক স্মিটন (Mark Smeaton)।

ৰজাই দেখিলে যে এই কেইজন লোকৰ বিৰুদ্ধে ৰাণীৰ লগত গুপ্ত-প্ৰেমত জড়িত থকা বুলি অভিযোগ অনা সম্ভৱ নহব, কাৰণ তাৰ প্ৰামাণ্য সাক্ষী নাই। ৰাণীৰ বিৰুদ্ধে এলাপেচাভাৱে প্ৰেমৰ বিশ্বাসঘাতকতাৰ গোচৰ তৰিবলৈ যোৱাটোও সহজ কথা নহব। কেনেবাকৈ গোচৰ তুলিলেও যদি সি নিটিকে তেনেহলে কি হব? গতিকে ৰজাই ভাবিলে—দিন পালে খেন পোৱা যায়। গতিকে ৰাণীক আগে ভন্ধ কৰা যাওক। ৰামায়ণত তাহানি সীতাক ৰামচন্দ্ৰই ছল কৰি বনৰ মনোৰম সৌন্দৰ্য্য চাবলৈ পঠোৱাৰ-ছলেৰে বনবাস দিয়াৰ দৰে ৰজাই ৰাণীকো সুসজ্জিত নৌকা এখনত লণ্ডন টাৱাৰ চাবলৈ জলভ্ৰমণত পঠালে; কাৰণ, আগতে ৰাণীয়ে ৰজাৰ আগত তেনে এটি অভিলাষ ব্যক্ত কৰিছিল।

সজাই পৰাই উলিওৱা ধুনীয়া নাও এখনত ৰাণীক তুলি লোৱা হ'ল। নাও লয়লাস গতিত চলিবলৈ ধৰিলে। পূৰ্ব্বকল্পিতমতে বহুত দূৰ যোৱাৰ পাছত তেওঁক কোৱা হ'ল যে দ্বিচাৰিণী দোষত তেওঁক নিৰ্ব্বাসিতা কৰা হৈছে আৰু ৰাজ-আদেশত তেওঁক লণ্ডন টাৱাৰত বন্দী কৰি ৰখা হব। কথা শুনি ৰাণীয়ে প্ৰমাদ গণিলে; চকুৰে ধোঁৱা-কোৱা দেখিলে। তেওঁ সপোনত আছে নে সচিতত আছে তাকেই যেন ঠিক কৰিব নোৱাৰিলে। যি ৰজাই তেওঁৰ কাৰণে পূৰ্ব্বৰ বিবাহিতা পত্নীকো ত্যাগ কৰিলে, যি এদিনাখন তেওঁৰ ওচৰত আত্মসমৰ্পণ কৰি শপত খাই কৈছিল যে তেওঁ তেওঁৰ প্ৰাণতকৈও প্ৰিয় আৰু মূল্যৱান, তেৱেঁই যদি এনে নিঠুৰ আদেশ

দিলে, তেন্তে ইয়াতকৈ অদৃষ্টৰ নিৰ্মম পৰিহাস তেওঁৰ কাৰণে আৰু কি হব পাৰে? এই অৱস্থাত পৰি তেওঁ চকুলো দুটোপাকে মনতে ভগৱানৰ উদ্দেশ্যে আগবঢ়াই—তেওঁকেই সাক্ষী কৰি কলে—"হায় ভগৱান, তুমি মহান বিচাৰক। ইয়াৰ বিচাৰ তুমি কৰিব৷ প্ৰভু! এনে অপমান অৰু সহ্য কৰিব লগীয়া হোৱাতকৈ মৃত্যু মোৰ বাবে শত গুণে শ্ৰেয়ঃ।" কিন্তু তেওঁৰ গোচৰ শুনিব কোনে? কোনোৱেই শুনা নাই। আন এগৰাকী ৰাণীৰ সোণৰ সংসাৰ ছাৰখাৰ কৰা নাছিল। তেতিয়াও জনো ন্যায়-বিচাৰৰ গৰাকী ভগৱান ওপৰত নাছিল।

ৰাণী বন্দিনী হৈয়ে থাকিল। বিচাৰৰ কাৰণে দিন পিছুৱাই দিয়া হ'ল। ইতিমধ্যে সাক্ষীৰ অন্বেষণত ৰজা ব্যস্ত হৈ পৰিল। কাৰণ সাক্ষীৰ নামত একেবাৰে একো নাথাকিলে নো কি বিচাৰ সম্ভৱ হব? ৰজাৰ ইঙ্গিত পাই সংশ্লিষ্ট সেই পাঁচজনা লোকৰপৰাও চাল-ছলনা আৰু প্ৰলোভনৰ দ্বাৰা কিবা হৈ কঢ়াব পাৰি নেকি তাৰ বাবে ৰজাৰ তোষামোদকাৰী বিষয়াসকল দেহেকেহে লাগি গ'ল। ৰজাও নিজে যথাসাধ্যে চেষ্টা কৰিলে। উক্ত বিষয়া কেইজনক ৰাজদ্ৰোহত অভিযুক্ত কৰিবলৈ ভীতি প্ৰদৰ্শনো কৰা হ'ল; কিন্তু সকলো বিফলে গ'ল। সকলো মিছা হ'ল। তেনে এটা গহুত গৰু উঠা কথা শুনি অপবাদৰ বাবে অকণো ভয় নকৰি সকলোৱে বহস্যপূৰ্ণ-ভাৱে চক খাইহে উঠিল। নাৰিচ বেপাৰীজনে কলে—"লাগিলে মৰিম, তথাপি এনে মিছা অপবাদ আৰু জঘন্য ঘটনা এটাত স্ব-ইচ্ছাই জড়িত হম কেনেকৈ? ধৰ্ম্ম জানো পৃথিৱীত নোহোৱাই হ'ল?"

এটদৰেও দালি নগলিব যেন পাই ৰজাৰ চাটুকাৰ বিষয়াবোৰে অইন উপায় অৱলম্বন কৰিলে। তেওঁলোকে গাঁৱৰ শিটনক অলপ দুৰ্ব্বলমনা যেন পাই তেওঁলোকে নানা প্ৰকাৰে এনে ভয় দেখুৱাবলৈ ধৰিলে। অকলে নি তেওঁক কোৱা হ'ল যে ৰাজদ্ৰোহ ভয়ঙ্কৰ কথা। কাৰবাৰ মুখেদি সেই বিষয়ে কিবা অলপ প্ৰমাণ হলেই সেই দোষৰপৰা কাৰো পৰিত্ৰাণ নাই—শাস্তি প্ৰাণদণ্ড। ৰজাৰ ইচ্ছাৰ ওপৰতে তেতিয়া সকলো নিৰ্ভৰ কৰে। বৰ্ত্তমান অভিযোগতো পৰিত্ৰাণৰ এটা উপায় আছে। ৰজাক প্ৰকৃততে ৰাণী এনিবলীনৰ ব্যভিচাৰিতাৰ প্ৰমাণহে লাগে; কাৰ লগত তেনে ব্যভিচাৰৰ অভিযোগ হৈছে সেই সম্পৰ্কে তেওঁ বিশেষ জানিবলৈ ইচ্ছুক নহয়। গতিকে

নিজক জড়িত কৰিলেও সিমানে একো ভয়ৰ কাৰণ নাই। ৰজাৰ উদ্দেশ্য সিদ্ধিত নিজক বিপন্ন কৰিও স্মিটনে তেওঁক সহায় কৰিবলৈ ওলোৱা বুলি জানিলে ৰজাই তেওঁক নিশ্চয় তিৰস্কাৰৰ ঠাইত পুৰস্কাৰহে দিয়াৰ সম্ভাৱনা।

এনে প্ৰলোভনত পৰি স্মিটন কিংকৰ্ত্তব্যবিমূঢ় হ'ল। বিশ্বাসকলৰ এজনৰ পিছত অন্যজনে আহি তেওঁক নানা প্ৰকাৰে ফুচুলাবলৈ ধৰিলে। শেষত চয়তানৰে জয় হ'ল।

ৰাণী এনিবলীনক তেতিয়া বিচাৰৰ কাৰণে এদিন গ্ৰেষ্ট্‌মিনিষ্টাৰৰ বিচাৰালয়লৈ অনা হ'ল। তেওঁৰ বয়স তেতিয়া ছাবিশ বছৰ। তেজোদ্দীপ্ত চেহেৰা আৰু চলচলীয়া চকুৰে তেওঁ 'জুৰি'ৰ (বিচাৰকসকলৰ) সন্মুখীন হ'ল। উনত্ৰিশজন বছা বছা 'পিয়াৰৰ' (peers) ওপৰত ৰজাই বিচাৰৰ ভাৰ দিলে। দেখাত গহীন-গম্ভীৰ আৰেষ্টনৰ মাজতে বিচাৰ আৰম্ভ হ'ল। বিচাৰ চলিল—কিন্তু সাক্ষী হলে নাই। বন্দী কৰি ৰখা দোষী পাঁচজনে আইনতঃ সাক্ষ্য দিব নোৱাৰে। গতিকে যথাবিহিতভাৱে পোনতে ৰাণীক পৰপুৰুষৰ লগত অবৈধ প্ৰণয়ত লিপ্ত থকা অপৰাধত অভিযুক্ত কৰি লিখি উলিওৱা দোষৰ বৰ্ণনা তেওঁৰ আগত পঢ়ি শুনোৱা হ'ল। ৰাণীয়ে তেওঁক অভিযুক্ত কৰা দোষৰ বৰ্ণনা এয়ে প্ৰথম শুনিলে। তেওঁৰ দুগালেদি সৰ্‌ সৰ্‌কৈ চুনাৰি চকুলো বাগৰি গ'ল। যাৰ কথাৰ ওপৰত নিৰ্ভৰ কৰি সেই অভিযোগ তৰি দিয়া হৈছে সেই স্মিটনো তাত নাই। যাৰ যাৰ লগত সাঙুৰি দি গোচৰ কৰা কৰা হৈছে তেওঁলোকৰো কোনোজন তাত নাই। দোষীৰ কাৰণে একাষাৰ মাত মাতিবলৈও কোনো উকীল-মুক্তিয়াৰ নাই। এয়ে হ'ল বিচাৰ!

অপৰাধৰ বৰ্ণনা পঢ়ি শুনোৱা হ'লত ৰাণীক সোধা হ'ল -"আপোনাৰ এতিয়া বক্তব্য কি?"

"বক্তব্য আৰু কি থাকিব পাৰে?" ৰাণীয়ে উত্তৰ দিলে।

"তেনেহলে আপুনি দোষ স্বীকাৰ কৰিছে বুলি আমি ধৰি লব পাৰোঁ?"

"নোৱাৰে। আপোনালোকে যিহকে নধৰি নলওক মই কওঁ আৰু সদায়ে কম - মই নিৰ্দ্দোষী।"

"আপুনি নিৰ্দোষী বুলিলে কি হব? যি পাঁচজন লোক আপোনাৰ লগত এই অপৰাধত অপৰাধী তেওঁলোকে নিজমুখে স্বীকাৰ কৰিছে। গতিকে

আমি বিচাৰত পালোঁ আপুনি বিবাহিত জীৱনত বিশ্বাস-ঘাতকতা কৰি দ্বিচাৰিণী হোৱা দোষত দোষী। সেইমতে আমি আইনতঃ আপোনাৰ প্ৰাণ-দণ্ডৰ বিধান দিলোঁ। আপোনাক এই গুৰুতৰ অপৰাধৰ বাবে অগ্নিদাহনৰ দ্বৰা প্ৰাণদণ্ড দিয়া হব। আপুনি ইচ্ছা কৰিলে মহিমাময় মহাৰাজৰ ওচৰত আবেদন কৰি অগ্নিদাহনৰ পৰিবৰ্ত্তে শিৰশ্ছেদৰ অনুমতি লব পাৰে।”

ৰাণী এনিবলীন নীৰৱ হ'ল। তেওঁক পুনঃ কাৰাগাৰলৈ লৈ যোৱা হ'ল। ৰজা অষ্টম হেনৰীৰ তেতিয়া মনত খেলালে– ইতিহাসে এনে এটি কুকৰ্ম্মৰ কাৰণে তেওঁৰ কুখ্যাতি সদায় গাব। গতিকে তেওঁ অন্ততঃ আৰু এটা অভিযোগত ৰাণীক ইতিমধ্যে দোষী সাব্যস্ত কৰিব পাৰিলে ভাল হয়। তেওঁ তেতিয়া বিচাৰি হে চাৰি যা-যোগাৰ কৰি ৰাণী এনিবলীনৰ বিৰুদ্ধে আৰু এটা গোচৰ এইমতে ৰুজু কৰিলে যে ৰাণী এনিবলীন হেনৰীৰ লগত বিয়া হোৱাৰ আগতে আৰ্ল অৱ নৰ্থাম্বাৰলেণ্ডৰ (Earl of Northemberland) লগত বাগ্‌দত্তা হৈ আছিল। গতিকে ৰজাৰ লগত হোৱা বিবাহ-বন্ধন এনেয়ে নিষিদ্ধ আছিল। ৰজাৰ নিজ মুখৰ এনে জবানবন্দীয়ে গোচৰৰ যথেষ্ট প্ৰমাণ; আৰু অন্য সাক্ষ্যৰ প্ৰয়োজন নাই। তথাপি গোচৰৰ ৰায় দিওঁতে এইটোও লিপিবদ্ধ কৰি ৰখা হ'ল যে ৰাণী এনিবলীনক তেওঁৰ আৰ্ল অৱ নৰ্থাম্বাৰলেণ্ডৰ লগত হোৱা বাগ্‌দত্তা বিবাহৰ সম্পৰ্কে আৰ্ক-বিশপে নিজে অকলে অকলে সুধি জানিব পাৰিছিল যে ৰাণীয়ে সেই কথা স্বীকাৰ কৰিছিল। ফলত উচিত বিচাৰমতে ৰজা-ৰাণীৰ বিবাহ-বন্ধন বাতিল কৰা হ'ল। বিচাৰকসকলে সেইটো গ্ৰাহ্য কৰিলে। এই গোচৰৰ মৰ্ম্ম আৰু তাৰ সিদ্ধান্তও ৰাণীক তেওঁৰ মৃত্যু-দণ্ডৰ আগতে শুনাই দিয়া হ'ল। নকৈ দাৰ পৰিগ্ৰহ কৰিবৰ কাৰণে ৰজা অষ্টম হেনৰী এতিয়া সম্পূৰ্ণৰূপে মুক্ত— এয়ে হ'ল গোচৰৰ খাটাং সিদ্ধান্ত।

গোচৰৰ সিদ্ধান্ত শুনি ৰজাই আনন্দ পালে। কামনাৰ শত লহৰীয়ে তেওঁৰ হিয়া-সৰোবৰত খলকনি তুলিলে। ৰাণী এনিবলীনেও তেওঁৰ বাগ্‌দত্তা বিবাহৰ কথা স্বীকাৰ কৰি ৰজাক সহায় কৰিছে বুলি জানিব পাৰি তেওঁ ভাবিলে—আহা, এনিবলীন কেনে সহৃদয়া! এনে বুলি জনা হলে প্ৰথমটো অভিযোগৰ কোনো প্ৰয়োজনে নহ'লহেঁতেন; কিন্তু যি হবৰ আছিল হ'ল— এতিয়া তাক আৰু ঘূৰাব নোৱাৰি। ঈশ্বৰে যি কৰে সেই সকলোবোৰ ভালৰ

বাবেই বুলি মানি লব লাগে। ইয়াকে ভাবি ৰাণীৰ প্ৰতি দয়াপৰবশ হৈ তেওঁ ৰাণীক পুৰি মাৰিবলৈ নিদি শিৰচ্ছেদৰ দ্বাৰা তেওঁৰ প্ৰাণ লবলৈ আদেশ দিলে।

ৰাণী এনিবলীনে তেওঁৰ প্ৰাণৰ দেৱতা মহাৰাজ ইংলণ্ডেশ্বৰৰ এই সহানুভূতিপূৰ্ণ অনুগ্ৰহৰ কথা শুনি কৈছিল—"হায়! মই যদি ইয়াৰ আগতে মৰিব পাৰিলোহেঁতেন! সেয়ে হলে মই নিশ্চয় মহাৰাজৰ এনে যাতনাদায়ক কৰুণাৰ হাত সাৰিব পাৰিলোহেঁতেন!"

ৰজাৰ মনত খন্তেকৰ কাৰণে ৰাণী এনিবলীনৰ প্ৰেমৰ পূৰ্ব্বস্মৃতি জাগিলত তেওঁ তুৰন্তে আদেশ দিলে যে ৰাণীয়ে যাতে মৃত্যু-যন্ত্ৰণা অকণো অনুভৱ কৰিবলৈ ন'পায় তাৰ বাবে কেলে (Calais) নগৰৰপৰা অতিশীঘ্ৰে এজন পাকৈত কটোৱাল আনিব লাগে। ৰজাৰ এই সহানুভূতিৰ কথা ৰাণীক কোৱা হলত তেওঁ কৈছিল—"আয়ৈ দেহি, কি প্ৰেম! তেওঁৰ পত্নী হোৱাটো কিমান ভাগ্যৰ কথা! পিছে ৰজাই বোধহয় পাহৰিয়ে গৈছে যে মোৰ ডিঙিটো নিচেই অকণমানহে (I have only a little neck)!"

যি পাঁচজনা পুৰুষৰ লগত ৰাণীৰ অবৈধ মিলনৰ কাহিনী সাঙুৰি দিয়া হৈছিল, তেওঁলোকৰো চাৰিজনৰ শিৰশ্চেদ হ'ল। কোৱা বাহুল্য যে এই চাৰিজনৰ এজন আছিল ৰাণীৰ ভ্ৰাতৃ। পঞ্চমজন হ'ল গায়ক স্মিটন। তেওঁৰ দোষ কিছু কম বুলি তেওঁৰ শিৰশ্চেদ নহ'ল, তেওঁক ফাঁচি দি মৰা হ'ল।

এইদৰে ৰাণী এনিবলীনে উদ্‌ভ্ৰান্ত প্ৰেমৰ হোমাগ্নিত তিল-তিলকৈ নিজক আহুতি দিলে। উদ্বেগ আৰু উৎকণ্ঠাৰ মাজেদি দিনৰ পিছত দিন নিয়াই লণ্ডন টাৱাৰৰ কাৰাগাৰত কাল উদ্‌যাপন কৰোঁতে ৰজা অষ্টম হেন্‌ৰীৰ প্ৰেৰিত লোকে গৈ যেতিয়া দোষৰ স্বীকাৰোক্তি বিচাৰি তেওঁৰ ওচৰ চাপিছিল- তেতিয়া এবে নিশা বহি তেওঁ স্বামী হেন্‌ৰীলৈ এখন চিঠি লিখিছিল। সি আজিও অমৰ হৈ আছে। তাৰ ভাবানুবাদ তলত দিয়া হ'ল।

"প্ৰাণাধিকেষু,

মোৰ প্ৰতি আপোনাৰ ৰোষ আৰু সেই ৰোষৰ ফলত হোৱা মোৰ এনে কাৰাবাস মোৰ কাৰণে এটা আচৰিত কাহিনী যেন লাগিছে। মই সেই বিষয়ে কাৰ আগত বাৰু কি কব পাৰোঁ? কমাই বা কৰিম কাক? আপোনালৈ লিখিবলৈয়ে কথা বিচাৰি পোৱা নাই। সঁচাকৈয়ে মই তেনেই হতভম্ব হৈছোঁ।

আপুনি মোৰ ওচৰলৈ মোৰ দোষৰ স্বীকাৰোক্তি নিবলৈ এনে এজন লোকক পঠাইছে যি মোৰ চিৰশত্ৰু প্ৰাণ-বৈৰী। আপুনি সেই কথা নজনাও নহয়। তেওঁ আজি আহি মোক সেই কথা কোৱাৰ লগে লগে মই আপোনাৰ অভিসন্ধি আৰু উদ্দেশ্য বুজি পালোঁ। আপুনি যদি সঁচাকৈয়ে কয় যে সত্য কথা কলে মই মুক্তি পাম মই নিশ্চয় তাকে কৰিবলৈ ৰাজী; কিন্তু আপুনি যেন আপোনাৰ দুখুনী পত্নীক এনে এটা মিছা কথা কোৱাবলৈ যত্ন নকৰে যিটো মই কোনো দিন সপোনতো ভবা নাছিলোঁ—কাৰ্য্যত কৰা দূৰৰ কথা। সত্য কথা কবলৈ হলে মোৰ দৃঢ় বিশ্বাস, জগতত কোনো পত্নীয়ে স্বামীক মোৰ দৰে নিঃশেষ কৰি আত্মোৎসৰ্গ কৰা নাই। মোৰ বাকী আপোনাক দিবলৈ কি বাকী আছিল বুলি ভাবে? মোৰ দৰে অনুৰক্তা পত্নী যদি কোনোবা ৰজা বা যুৱৰাজে আগতে পাইছিল—মই সেইটো নাজানো। আপুনি জানি থব, দুখুনী এনিৱলীনে আপোনাৰ প্ৰতি অন্তৰত যি প্ৰগাঢ় প্ৰেম ৰাখিছিল তাৰ পূজাৰিণী হৈ মৃত্যু বৰণ কৰিবলৈ তেওঁ অকণো ইতস্ততঃ নকৰে। আপোনাৰ সন্তুষ্টিৰ বাবে মই যিকোনো মুহূৰ্ত্তে মৰিবলৈ সাজু আছোঁ, কিন্তু এনে অসহনীয় অপযশ লৈ নহয়। আপুনি জানে—মই মাত্ৰ এজনী সাধাৰণ ৰমণী আছিলো; আপুনিয়ে আপোনাৰ বুকুত তুলি লৈ মোক এদিন আপোনাৰ ৰাণী পাতিছিল। সেই গৌৰৱৰ অৱমাননা মই জানে মোৰ জীৱনৰ কোনো মুহূৰ্ত্তত কেতিয়াবা কৰিব পাৰিম? ৰাণীৰ পদৱী মোৰ কাৰণে কল্পনাৰো অগোচৰ আছিল। আপোনাৰ দুৰ্লভ প্ৰেম আৰু কৰুণাকে অন্তৰত লৈ মই আপোনাত আত্মসমৰ্পণ কৰাৰ পিছ মুহূৰ্ত্তৰ-পৰা কৃতজ্ঞতাপূৰ্ণ অন্তৰেৰে মোৰ কৰ্ত্তব্য কৰি আহিছিলোঁ। মোৰ দোষ ক'ত মই আজিও ভাবি নাপাওঁ। গতিকে মোৰ একান্ত অনুৰোধ আপুনি মোৰ ওপৰত এটা অলীক অপযশ জাপি দি মোক কলঙ্কিনী নকৰিব! মোৰ মৃত্যু যদি আপোনাৰ কাম্য হয়, সেই মৃত্যু মই এই মুহূৰ্ত্ততে হাঁহি-মুখে বৰণ কৰিবলৈ সাজু আছোঁ। মোক কিন্তু এইদৰে কলঙ্ক-কালিমা সানি আপুনি বধ নকৰিব। মোৰ আৰু এটা অনুৰোধ মোৰ পোনাকণৰ বিষয়ে! তাই জানো মোৰ উদৰত আপোনাৰ কোনোবা এক অজ্ঞাত মুহূৰ্ত্তৰ হৰ্ষোদ্দীপ্ত উপভোগৰ প্ৰতিদান নহয়? তাইৰ প্ৰতি যেন কেতিয়াও অবিচাৰ নকৰে। আপুনি ৰজা! আপুনি বিচাৰক! ধৰাত আপুনি বিশ্ব-

পালক ভগৱানৰ প্ৰতিভূ। গতিকে মোৰ ক্ষেত্ৰতো যেন আপোনাৰ সুবিচাৰৰ কাৰ্পণ্য নহয়। মোক মাত্ৰ তাকেহে লাগে। ন্যায় বিচাৰত যদি মোক আপুনি দোষী পায়, তেন্তে মৃত্যু বৰণ কৰিবলৈ মোৰ ধনিষ্ঠামানো কুণ্ঠা নাই; কিন্তু মোৰ পৰম শত্ৰুক বিচাৰৰ ভাৰ দি মিছা দোষত দোষী সাব্যস্ত কৰি, মিছা কলঙ্কৰ বোজা মোৰ মূৰত তুলি দি মোক যেন আপুনি মৰিবলৈ নিদিয়ে।

মই মুকলি বিচাৰ অনুষ্ঠান কৰোঁ। মোৰ যদি সচাকৈয়ে কিবা দোষ আছে তেন্তে বিচাৰত সেইটো প্ৰমাণ হওক আৰু তাৰ বাবে উগ্ৰতম শাস্তি মোৰ ওপৰত আপুনি বিধান কৰক। মই তাৰ বাবে প্ৰস্তুত। তেনে মুকলি বিচাৰ পাতিলে আপুনিও হয়তো মোৰ নিষ্কলুষতা দেখি আপোনাৰ মনৰ সন্দেহ দূৰ কৰিব পাৰিব। শাস্তি বিধান কৰিবলগীয়া হলেও আপোনাৰ কীৰ্ত্তি চন্দ্ৰ-দিবাকৰ থাকে মানে থাকি যাব। মই আপোনাৰ ওচৰত বাৰম্বাৰ মিনতি কৰিছোঁ, কলঙ্কত নিমজ্জিতা হৈ মোক আপুনি মৰিবলৈ নিদিব— মই এতিয়াও সম্পূৰ্ণৰূপে নিষ্কলুষ, নিষ্পাপ আৰু সম্পূৰ্ণৰূপে আপোনাৰে পত্নী। গতিকে অবিচাৰৰ মাজেদি মোক আপুনি বধ নকৰিব। তাকে কৰিলে নিশ্চয় আপুনি মোৰ বধৰ ভাগী হব আৰু এদিন নহয় এদিন সেই মহান-বিচাৰক, মহাপ্ৰভু ভগৱানৰ ওচৰত নিজে জবাবদিহি হব লাগিব। তেতিয়া বাৰু আপোনাৰ কবলৈ কি থাকিব?

মোৰ শেষ অনুৰোধ, আপুনি মোক আপোনাৰ ৰোষ-বহ্নিত পুৰি মৰিবলৈ এৰি দিছে, দিয়ক; কিন্তু মোৰ লগতে আকৌ নিৰপৰাধী লোক কিছুমানকো আনি মিছা অপৰাধত জড়িত কৰি সকলোকে বিনা অপৰাধত বধ নকৰিব। দোষী লোক হাজাৰ হাজাৰ মৰক; কিন্তু যেন নিৰ্দ্দোষী এটি প্ৰাণীয়েও কোনো প্ৰকাৰে ৰাজ ৰোষ বা ৰাজদণ্ড ভুগিব লগীয়া নহয়। সেয়ে হলে আপোনাৰে কলঙ্ক হব। মোৰ ওপৰত কলঙ্কৰ বোজা তুলি দিবলৈ গৈ যদি আপোনাৰ বিষয়াসকলে এটাৰ ঠাইত অনেক লোকক কলঙ্কিত কৰে তেনেহলে সেই অপৰাধৰ বাবে জানো কলঙ্ক আপোনাৰে নহব? সঁচাকৈয়ে যদি এই অভাগিনীয়ে এদিন আপোনাৰ সুদৃষ্টি, আপোনাৰ পৱিত্ৰ প্ৰেম আৰু অনুকম্পা আকৰ্ষণ কৰিব পাৰিছিল, সঁচাকৈয়ে যদি এনিবলীনৰ নাম এদিন আপোনাৰ কাণত তৃপ্তিকৰ লাগিছিল, এটি দিনৰ কাৰণে হলেও যদি কেতি-

য়াৰ। এই হতভাগী এনিয়ে আপোনাক লেশমাত্ৰ আনন্দ দান কৰিব পাৰিছিল — তেন্তে তাইৰ এই ক্ষুদ্ৰ অনুৰোধ আপুনি আজি ৰক্ষা কৰক। মই আৰু ইয়াতকৈ অধিক আপোনাৰপৰা একো নিবিচাৰোঁ, আপোনাক আৰু আমনিও নকৰোঁ। 'ত্ৰিনিতি' ভগৱানকো খাটিছোঁ আপোনাক সুমতি দিয়ক। বন্দিনী বেশত কাৰাৰুদ্ধা হৈ থাকি পৱিত্ৰ মে' মাহৰ ছয় তাৰিখে টাৱাৰ কাৰা-গাৰৰ প্ৰকোষ্ঠত বহি মই আজি অভাগিনী এনিবলীনে উপৰোক্ত এই চিঠি লিখিছোঁ। আপোনাৰ চিৰানুগত বিশ্বাসৰ পত্নী এনিবলীন।

ৰাণী এনিবলীনৰ উপৰোক্ত চিঠিয়ে কামুক ৰজা অষ্টম হেনৰীৰ অন্তৰত কেনে প্ৰতিক্ৰিয়া কৰিছিল জনা নাযায়, কিন্তু এনিবলীনৰ শিৰশ্চেদ যথা-ৰীতি হৈ গ'ল। প্ৰেম প্ৰীতিৰ ইতিহাসত এই ঘটনা উদ্‌ভ্ৰান্ত প্ৰেমৰ জঘন্য দৃষ্টান্ত স্বৰূপে চিৰকাল অবিস্মৰণীয় হৈ থাকিব।

শিলং

১.৬০

ন-পুৰণি গল্পৰ চাটনি

(১)

বিহুৰ বৰঙনি

বৰা ডাঙৰীয়া তেতিয়া অবিবাহিত। বন্ধুমহলত তেওঁক সকলোৱে মিঃ ব বৰা বুলি মাতে। সেই সময়ত বয়সে তেওঁৰ তৃতীয় দশক পাৰ হবলৈ জাননী দিছে। সেইবাবেই হওক বা সৰুৰেপৰা যাৰে-তাৰে লগত চুপতি মাৰি মাৰি অভ্যস্ত হোৱা বাবেই হওক, কথা কোৱাত তেওঁৰ, কোনো প্ৰকাৰ দ্বিধা বা খোকোজা নাই। এনেকি নাৰী সমাজতো সসম্ভ্ৰমে কথাৰ কটাকট কৰাত তেওঁৰ অকণো সঙ্কোচ নোহোৱে। তেতিয়া তেওঁ আছিল শ্বিলং চহৰৰ দূৰ প্ৰান্তত থকা নংথুমাই নামে ঠাইৰ অলপ আঁতৰত হৰ্তীয় এটি চুকত। ঘৰ এটা ভাড়া কৰি তেওঁ অকলে থাকে। অকলে মানে, বান্ধনি লৰা এটাও থাকে; কিন্তু সি থাকে পাক-ঘৰৰে এটা কোঠালিত। সি তেওঁৰে নিয়ন। তেওঁ হাকিম, সি পিয়ন। দুয়ো আদালতত কাম কৰে।

সেইদিনা বিহুৰ চান্দা তুলিবলৈ কেবাগৰাকী মধ্যবয়স্কা মহিলা তেওঁৰ ঘৰলৈ গৈছিল। বয়সত তেওঁলোক মহিলা যেনিয়া আছিল ব্ৰহ্মপুত্ৰ; কিন্তু পোচাক-পৰিচ্ছদ, অঙ্গ-প্ৰসাধন আৰু মনৰ উল্লাস-উৎসাহৰ পিনেদি প্ৰত্যেকে আছিল যেন একোগৰাকী ষোড়শী। খোজত আভিজাত্যৰ লয়লাস, মুখত আমেৰিকা-মালীৰ গোন্ধ, চকুত বিজুলী চমক।

সেইদিনা বাৰটো আছিল শনিবাৰ। তেতিয়া সময় অপৰাহ্নৰ প্ৰায় সাতমান বাজি গৈছে। একেই শনিবাৰ, তাতে সন্ধিয়া। দলটোও হ'ল ভদ্ৰমহিলাৰ। তেওঁলোক সকলোৱে লগ হৈ চান্দাৰ বাবে সেইদিনা ডেকা হাকিম মিষ্টাৰ বৰাকে যৌথভাৱে আক্ৰমণ কৰিবলৈ ওলাল। বৰাৰ ঘৰত বিজুলী বাতি জ্বলি আছে, কিন্তু ঘৰৰ কোঠালিবোৰহে ভিতৰৰপৰা বন্ধ। তাকে দেখি এগৰাকীয়ে বাৰাণ্ডালৈ গৈ দুৱাৰত টুকুৰিয়াই দিলে; বাকী কেইগৰা-

কীয়ে কাঠৰ বাৰাণ্ডাৰ নামনিতে খিড়িকীয়েদি অহা পোহৰত ইফালে-সিফালে চকু ফুৰাই তহল দিলে।

ববা ডাঙৰীয়া ওলাই আহি বাৰাণ্ডাৰ বিজুলী বাতি জ্বলাই অকণো অপ্ৰস্তুত নোহোৱাৰ দৰে হাঁহিটি মাৰি ক'লে—"অ' বাইদেউহঁত। পিছে ইমান সোণকালে আহিল যে? মই আকৌ অলপ পলমকৈ আহিব বুলিহে ভাবিছিলোঁ।"

—তাৰ মানে? আমি জানো আপোনাক সময় দিছিলোঁ আহিম বুলি, অলপ পলমকৈ আহিম বুলি ভাবিছিল যে?—এগৰাকীয়ে কলে।

—সময় দিব নালাগে নহয়। প্ৰচণ্ড ধুমুহাৰহে আগজাননী পোৱা যায়; মধুৰ মলয়াৰ জানো কাৰবাক কেতিয়াবা আগজাননী দি আহে?—ববাই কলে।

—নহয়, নহয়! আমি পলমকৈ আহিম বুলি আপুনি কিয় ভাবিছিল? আমি আহিম বুলি আপুনি কিবা গম পাইছিল নেকি?- এজনীয়ে কলে।

অন্য এজনীয়ে ওপৰতে মাত দি কলে—"নহয় নহয় অ', 'মিষ্টাৰ ববা এতিয়া 'কবা' কামত ব্যস্ত আছিল—অলপ পিছত অহা হলে তেখেতে ভাল পালেহেঁতেন। আমি বেছি সময় নাথাকোঁ বাৰু।"

আপুনি এনপ্ৰকাৰে বুজিছে যিহেতুক। বৈছেই নহয়—'যাদৃশী ভাৱনা যস্য, সিদ্ধিৰ্ভৱতি তাদৃশী"—ববাই কলে।

—তেনেহলে আমাৰ ভাৱনা সিদ্ধি হব আজি? পিছে, পলমকৈ অহা হলে ভাল পালেহেঁতেন বোলা কথটোৰহে মানে বুজি নাপালোঁ। এতিয়া কিবা কামৰ বাবে সময় ঠিক কৰা আছিল নেকি? কোনোবা আহিব লগীয়া আছে নেকি?—

—অঃ আপোনালোকে ইমানকৈ মানে বিচাৰিছে কিয়? সহজ কথা সহজভাৱে ললেহে তাৰ অৰ্থ ওলায়। তাঁৰ মানে বসন্ত আহিলে বিহুলৈ এতিয়াও বহুত দিন বাকী। পলমকৈ অহা হলেও হ'লহেঁতেন। ধৰি লওক মই তাকেহে কৈছোঁ। বুজিলে?—ববাই কলে।

—অ' এতিয়াহে বুজিছোঁ। আমি আকৌ অন্য কিবাহে বুজিছিলোঁ। পিছে ভালেই হল—শুভস্য শীঘ্ৰং। শুভ কাম যেনে শীঘ্ৰে কৰাই ভাল।—

—কৰিব পাৰিলে ভাল, কিন্তু নোৱাৰিবি যে!—

ববাৰ কথা শেষ হবলৈ নৌপাওঁতেই এজনীয়ে মাত লগালে—"পিছে

এটা কথা কওঁ, বেয়া নাপাব দেই! আপোনাৰ ঘৰৰ নতুন ধুনীয়া পৰ্দ্দাবোৰ দেখি আমি মিছেছ বৰাকো ইয়াতে পাম বুলিহে ভাবিছিলোঁ। তিৰোতা নথকা হ'বত ধুনীয়া পৰ্দ্দা অৰ্থহীন! নহয় জানো বাৰু?"

—কিয়? আপোনালোক জানো মতা? আপোনালোকো দেখোন তিৰোতা!—

—তিৰোতা মানে বিবাহিতা তিৰোতা।—

—আপানালোক বিবাহিতা নহয় নেকি? কেতিয়া নো বিবাহ-বন্ধন ছিঙিলে?—

—এঃ নহয়। আপুনি বুজিও নুবুজা ভাও ধৰিছে। আপোনাৰ বিবাহিতা তিৰোতা, অৰ্থাৎ মিছেছ বৰা। আনৰ তিৰোতা নহয়। আমি আনৰ তিৰোতা!—

—অ' এতিয়াহে বুজিলো। পিছে হিতোপদেশত পঢ়িছিলো—'অয়ং নিজো পৰোবেতি, গণনা লঘুচেতসাম্। উদাৰ চৰিতানাং তু বসুধৈৱ কুটুম্বকম্।' অৰ্থাৎ এওঁ নিজৰ, তেওঁ পৰৰ এনে ভাব লঘুচেতা সাধাৰণ লোকসকলৰ কাৰণেহে; গুৰুচেতা উদাৰ লোকৰ কাৰণে সকলোবোৰেই নিজৰ!—পিছে সি যিহওক, মুঠতে পৰ্দ্দা লগোৱাত যদি বেয়া পাইছে তেন্তে বাৰু পৰ্দ্দা খুলি থম। পিছে আপোনালোকে বোধহয় স্বীকাৰ কৰিব যে আজিৰ যুগত ভদ্ৰতা প্ৰকাশ পায় আত্মগোপনতহে। মই সেই ভদ্ৰতাৰ কাৰণেই হ'বত পৰ্দ্দা লগাই আত্মগোপন কৰিছোঁ বাৰু! কেনে হয়?—

—আমি ভালকৈ বুজি নাপালো। আপুনি নো আত্ম-গোপন কৰিলে কেনেকৈ?—

—কিয়? আপোনালোকেই দেখোন এইমাত্ৰ কলে—পৰ্দ্দা নলগোৱা উকা ঘৰহে বিয়া নকৰোৱা ডাংৰৰলাৰ বাসভৱন। মোৰ ঘৰত পৰ্দ্দা লগাই তেন্তে মই আত্মগোপন কৰিছোঁ! নহয় জানো? পিছে শুনক-তেনেকৈ ময়ো যদি কওঁ—এৰণি নথকা নাৰীসকলহে অবিবাহিতা—তেতিয়া বাৰু ভুল হব নেকি? আজিকালি দেখোন বিবাহিতা নাৰীয়ে এৰণি লবলৈ এৰিছেই। তেওঁলোকেও আত্মগোপন কৰা নাইনে? তেওঁলোকো সম্পূৰ্ণৰূপে আধুনিক ভদ্ৰমহিলা—ময়ো তেনেকৈ ভদ্ৰলোক! কেনে হব? দুয়ো একে পথৰ পথিক নহম নে?—

—মিষ্টাৰ বৰাক কথা'ত নোৱাৰাহে। কামেৰে চোৱা যাওক। আৰম্ভ কৰা! —এজনীয়ে কলে।

বৰাই পোনেই মাত লগালে—মাফ কৰিব, মাফ কৰিব। মনুসংহিতাত পঢ়িছিলোঁ—'ন জাতু কাম কামানামুপভোগেন শাম্যতি। হবিষা কৃষ্ণবর্ত্মেব ভূয় এবাভিবৰ্দ্ধতে'।

—তাৰ মানে?

—তাৰ মানে কাম কেতিয়াও উপভোগৰ দ্বাৰা নিবৃত্ত নহয়; জুইত ঘিউ ঢালিলে জুই দুগুণে জ্বলাৰ দৰে কামো ভোগৰ মাজেদি দুগুণে বাঢ়ি উঠে। গতিকে কাম সৰ্ব্বতোভাৱে বৰ্জ্জনীয়।

—তাৰ মানে কাম কৰিব নালাগে—এজনীয়ে কলে।

—নহয় অ', তই বুজিব পৰা নাই মিষ্টাৰ বৰাৰ কাম তোৰ বা মোৰ কামেৰে সৈতে একে নহয়। তেওঁ কৈছে মহাদেউৰ কথা—তই কৈছ ভগা লাউৰ কথ। সেইবেৰ এতিয়া বাদ। আপোনাৰ কামশাস্ত্ৰ এৰি এতিয়া আমাৰ কামশাস্ত্ৰৈ আহক। ইবোৰ-সিবোৰ তৰ্ক এতিয়া নাথাকে; এতিয়া বিছুৰ চান্দা কিমান দিব কওঁক! নহলে আমাক বাক্সৰ চাবি দিয়ক। আমি যিখিনি নিব লাগে লৈ বাকী খিনি এৰি যাম।—এইবুলি গিৰ্জ্জনি মাৰি হাহি আটায়ে ঘৰৰ ভিতৰ সোমাল আৰু পোনেই বৰাৰ শোৱাকোঠা পালেগৈ।

বৰা ডাঙৰীয়া অলপ অপ্ৰস্তুত হ'ল। তথাপি তেওঁ পৰাজয় স্বীকাৰ কৰিবলৈ মান্তি নহৈ লগে লগে ভিতৰ'ল গৈ কলে—পিছে আপোনালোকক বহিবলৈ দিবলৈ মোৰ হলে বহা কোঠালীতহে চকী-চোফা আদি সকলো আছে! শোৱা কোঁঠাত মই শোওঁহে। ইয়াত বহা সা-সঁজুলি একো বথা নাই। মোৰ শুদা বিচনাখনহে ইয়াত আছে। চকী মাত্ৰ এখনহে আছে।

এজনীয়ে কলে—মিষ্টাৰ বৰা, আমি জানো নাজানো—আপুনি শোৱা কোঁঠাত শোৱে আৰু বিচনাত শোৱে? বিচনাত আপুনি নহয়, সকলোৱে শোৱে। সেইটো জানো কব লগিছে? পিছে বহিব খুজিলে আমি বিচনাতো বহিব পাৰিম. আমাক সিংহাসন নালাগে নহয়। বোলো—'বহিব জানিলে মাটিয়ে পাৰা; খাব জানিলে চাউলেই চিৰা।'—ইয়াকে কোৱাৰ লগে লগে এজনী এজনীকৈ আটাই কেইজনীয়ে ফুলাম বিচনা ঢকাৱে ঢাক

থাই থকা বৰা ডাঙৰীয়াৰ সুশোভন কোমল বিচনাখনত বহি পৰিল।

এজনীয়ে তেতিয়া কলে—ব্ৰহ্মচাৰী লোকৰ বিচনা কোমল হব নাপায়।

—ব্ৰহ্মচাৰী বুলি আপোনাক মই জানো শপত খাই কৈছো? পৰ্দ্দা দেখিয়েই দেখোন ভণ্ড তপস্বী বুলি বুজিছে।—বৰাই কলে।

—মিষ্টাৰ বৰা, তেনেকৈ কলে আমি কিন্তু সাৱধান হব লাগিব!

এজনীয়ে কলে।

—কিয়হে, সাৱধান আমি হম নে মিষ্টাৰ বৰ হব? তেওঁ যিমানেই কথা কোৱাত পটু নহওক, কামত আমাক নেৰাবে। আজি আমি তেওঁৰ-পৰ আমাৰ প্ৰাপ্য আদায় কৰিহে যাম। —অন্য এগৰাকীয়ে মাত লগালে।

—কিমান দিব লাগিব কওঁক।—বৰাই কলে।

প্ৰত্যেকৰ বাবে বাৰ টকাকৈ মূঠতে ষাঠি টকা দিলেই হব। ·

কিয়হে আমি বাৰটকীয়াহে হলোঁ নেকি? কুৰি টকাকৈ এশ টকা লাগিব।—অন্য এজনীয়ে কলে।

—নহয়, বাৰু সৰ্ব্বমুঠ পঞ্চাশ দিয়ক তেওঁ। আৰু কোনেও নমাতিবা হঁক।—তৃতীয়গৰাকীয়ে কলে।

—হব বাৰু! আজি চহী কৰি দিলেই হব। অহা মহৰ প্ৰথম সপ্তাহতে আমি টকা লৈ যামহি। -চতুৰ্থগৰাকীয়ে কলে

—দিয়ে যদি আজিয়েই নিয়াত কি আপত্তি?—পঞ্চমজনীয়ে কলে আৰু চান্দাৰ বহীটো বৰা ডাঙৰীয়াৰ ফালে আগ বঢ়াই দিলে। বৰাই ইতস্ততঃ কৰা যেন দেখি এগৰাকীয়ে তেওঁৰ হাতত কলমটো তুলি দি কলে—চহীটো দিয়ক। এইখিনিতে দিয়ক। টকাৰ সংখ্যা আমি লিখিম।—

বৰাই বিয়াৰ দৰাৰ দৰে—'যথা নিযুক্তোঽস্মি তথা কৰোমি' ভাৱে চহীটো দিলে। টকাৰ সংখ্যা পঞ্চাশ লিখি তেওঁলোকে বৰাক দেখুৱালে। বৰাই হাঁহি এটি মাৰি কলে—আপোনালোক তুষ্ট হলেই হব বাৰু। লাগিলে দৰমহা আটাইখিনিকে দিয়া যাব।

—কি হব?

—টকা আদায় হব আৰু পুণ্য হব। যথাবিহিতভাৱে অভ্যৰ্থনাও হব। নহয় জানো?

—এৰা, পঞ্চাশটকীয়া অভ্যৰ্থনা কৰা হয় বিহুতলীত। হবনে?

—হ'ব। পিছে, যথাসময়ত নাপাহৰিলেই ৰক্ষা! 'কাকো দেখি দুৱাৰ বান্ধে' নহয় যেন।—

—পাহৰা নাযায়; পাহৰা নাযায়। ভয় নাখাব। অবিবাহিত ডেকা হ'বিৰুক কোনে পাহৰিব? অন্ততঃ আমাৰ কলেজীয়া ছোৱালীবোৰে নাপাহৰে। আমি আজিয়ে গৈ কৈ থম। তেওঁলোকে অন্ততঃ আপোনাৰ বাবে—'কাকো দেখি বান্ধে বাঢ়ে; কাকো দেখি দুৱাৰ বান্ধে' নকৰিব। দুৱাৰ খোলা ৰাখিব।—

আটায়ে ৰবা ডাঙৰীয়াৰ বটাৰপৰা তেতিয়া তামোল, মচলা আদি যিয়ে যি পালে খালে আৰু যাবলৈ ওলাল। ৰবা ডাঙৰীয়াই বিদায় দিবলৈ ইয়াকে মাত্ৰ কলে—অ' চান্দা নিবৰ দিনা কিন্তু আপোনালোক আটায়ে আহি কষ্ট নাথালেও হ'ব। কাৰ হাতত দিব লাগে কওঁক, মযে দিমগৈ।"

তপৰাই উত্তৰ আহিল—ভয় নাখাব, মিষ্টাৰ ৰবা। এগৰাকী মাত্ৰ পঠাম। হ'ব তো? কে নজনি আহিম আপুনিয়ে কওঁক বাৰু! নহলে মিছ ভূঞাকে পঠাম নেকি? তেৱেঁই এইবাৰ অভ্যৰ্থনাৰ মহিলা চেক্ৰেটৰী।"

ৰবাই কলে—"মিছেছসকল আহোঁতেই মোৰ এনে অৱস্থা। আকৌ মিছ ভূঞা আহিলে আসন-বসন দিবলৈয়ে মোৰ শক্তি নোহোৱা হ'ব।"

আও! চোৱাহে মিছ ভূঞাৰ নাম কোৱাত মিষ্টাৰ ৰবাই আকৌ আসনৰ লগতে বিছুৰ বসনো দিব খোজে। আমাক হলে বহিবলৈয়ে দিলে বিচনাতহে! বাৰু জনা গৈছে।—এগৰাকীয়ে কলে।

-ক্ষমা কৰিব লক্ষ্মী বাইদেউ! মই কিন্তু চকী-চোফাতে দিছিলোঁ; আপোনালোকেহে কচিমতে আসন ললে তাহানি শ্ৰীবৎস ৰজাৰ ৰাজসভাত লক্ষ্মী আৰু শনিয়ে লোৱাৰ দৰে। গতিকে কোপ নকৰে যেন।—

—নাই মিষ্টাৰ ৰবা! ধেমালিহে কৰিছোঁ। বেয়া নাপাব দেই।

এনেকৈ কৈ দলেবলে তেওঁলোক ওলাই গ'ল। ৰবা ডাঙৰীয়াই পিছতহে ভাবিলে—হায়, এওঁলোকক চাহ এটোপাও যচা নহ'ল। তেওঁলোকে কেনে অভদ্ৰ বুলি ভাবিছে চাগৈ!

যিমানে সাহসী আৰু বুদ্ধিয়ক ডেকা নহওক, চঞ্চলা নাৰীৰ আগত তেওঁৰ ধৈৰ্য্যচ্যুতি হ'ব যে হবই!

(২)

বিদুষী পত্নী

অসম বুৰঞ্জীত পোৱা যায় যে কীৰ্ত্তিচন্দ্ৰ বৰুৱাৰ গোৰা গোষ্ঠী বৰ ভাল নাছিল। তাকে ঢাকিবৰ বাবে তেওঁ তেওঁৰ পূৰ্ব্বপুৰুষসকলৰ কু-কীৰ্ত্তি যি যি বুৰঞ্জীত লিখা আছিল সেই সকলোবোৰ বিচাৰি আনি পুৰি পেলাইছিল। তেওঁ ভাবিছিল বুৰঞ্জীবোৰ পুৰিলেই তেওঁৰ পূৰ্ব্ব-পুৰুষসকলৰ বৃত্তান্ত কোনেও আৰু নাজানিব। তেনেকুৱা কীৰ্ত্তিমতী ৰমণী এগৰাকীৰ কথা শুনক।

সিদিনা চেণ্ট্ৰেল ষ্টেট্ লাইব্ৰেৰীলৈ গৈ কিতাপ এখন হাতত লৈ পাত লুটিয়াই দেখোঁ যে তাৰ ভিতৰৰ এটা পাত কোনোবাই ব্লেডেৰে কাটি পুনঃ তাতে কাগজ মাৰি আঠাই থৈছে। পাছত যাতে তাৰ বাবে নিজে কাৰো ওচৰত জবাবদিহী হব লগীয়াত নপৰোঁ সেই উদ্দেশ্যে কটা পাতটোলৈ লাইব্ৰেৰীয়ান গোস্বামীৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ। তেখেতে মোলায়েম সুৰত স্বাভাৱিক হাঁহিটি মাৰি কলে—"একো ভয় নাই, নিয়ক। সেই কটা-পাতৰ বুৰঞ্জী আছে। মই কম বাৰু।"

মই কিতাপখন লৈ তেওঁৰ পাছে পাছে তেওঁৰ কমলৈ গলোঁ। তেতিয়া তেওঁ তামোল এখন মোৰ ফালে আগ বঢ়াই দি কলে—"শুনক। নিয়াজনৰ নাম নকওঁ। তেওঁ এজন চিভিলিয়ান। তেওঁ পঢ়িবলৈ কিতাপখন নিছিল। পুৰা কিছু পঢ়াৰ পাছত অফিচলৈ যাবৰ সময় হ'ল। তেওঁ কিতাপখন তেওঁৰ মেজৰ ওপৰতে এৰি খোৱা-বোৱা কৰি অফিচলৈ গ'ল।

"মেজৰ ওপৰত ধুনীয়া নতুন কিতাপখন দেখি তেওঁৰ বিদুষী পত্নীয়ে তাক এবাৰ পাত লুটিয়াই চোৱাৰ লোভ সামৰিব নোৱাৰিলে। এই কটা পাতটোৰ কথাখিনি পঢ়ি তেওঁৰ হেনো ভীষণ খং উঠিল। তাত হেনো তেওঁৰ জাতিৰ বিৰুদ্ধে কিবা লিখা আছিল।"

মই সুধিলোঁ—"ইংৰাজ লিখকে লিখা কিতাপখনত আকৌ তেওঁৰ জাতিৰ কথা কি ওলাল ?"

তেওঁ কলে—'তেওঁৰ জাতি মানে বিবি হাওৱাৰ বিষয়ে অৰ্থাৎ ইভৰ বিষয়ে কিবা বোলে বেয়াকৈ লিখা দেখিলে। তেওঁ গিৰিয়েকৰ ব্লেডৰ

বাকচৰপৰা ব্লেড এখন উলিয়াই লৈ যিটো পাতত সেই কথাখিনি লিখা আছিল সেই পাতটো তেনেই নিপাত কৰি কাটি নি ফটা কাকতৰ 'বাস্কেট'ত পেলালে। গধূলি অফিচৰপৰা উভতি গৈ গিৰিয়েকে চাহ-জলপান খাই উঠি কিতাপখন এবাৰ পঢ়িবলৈ হাতত তুলি ললে। হঠাৎ তেওঁৰ সেই কটা পাতটোত চকু পৰিল। তেওঁ নতুন কিতাপখনৰ সেই অৱস্থা দেখি খঙত ঘৃতাগ্নি হ'ল। লগেনেই তেওঁ ঘৈণীয়েকক কলে–'এই কাম নিশ্চয় আমাৰ হ'ব, নহলে আমাৰ ঘৰ পুত্ৰ ডলৰ। তুমি কি কৰিছিলা? ইমখনত এনে অসভ্যালি কোনে কৰে তুমি অন্ততঃ জনা উচিত।'

ঘৈণীয়েকে তেওঁক কলে- আপুনি নো এইবোৰ বাজে কিতাপ পঢ়ে কিয়? তাত কি আছিল জানে? চাওক পঢ়ি—এই বুলি তেওঁ ফটা কাকতৰ বাস্কেটৰপৰা কটা পাতটো বিচাৰি আনি গিৰিয়েকৰ হাতত দিলে। গিৰিয়েকে পঢ়ি চাই তাৰ এঠাইত পালে—

Woman, dog and cane,
The more you beat them
The more they bend—

গিৰিয়েকে মুখেৰে একো নামাতি পাতটো কোনোমতে এঠাৰে আগৰ ঠাইত লগালে আৰু কিতাপখন ঘৰাই দিওতে মোক কলে—বুজিছে নে, মই আৰু তেওঁক ৰাম ৰহিম একো নবুলিলোঁ। তেওঁ যে সেই কামটো কৰিব তাক মই আজিও ভাবিলে বিশ্বাস কৰিব নোখোজোঁ! বিশ্বাস কৰিব নুখুজিলে পিছে কি হব–Facts are sometimes stranger than fiction. মোক আপুনি ক্ষমা কৰিব। মোৰ ভাৰ্য্যা বিদুষী; নহলে বোধহয় এই ঘটনা নঘটিলহেঁতেন।

মই তেখেতক কি কওঁ, কব পাৰে? মই আগেনাৰ কিতাপতে পোৱা সেই ফকৰাটি কলোঁ–বোলে 'দাক শিল, তিৰীক কিল, ছলিক চাপৰ, ... বাবি। তেহে গৃহস্থ ৰব পাৰি'॥

(৩)

বিয়াত সেন্দুৰৰ ব্যৱহাৰ কেনেকৈ হবলৈ পালে?

বিয়াত সেন্দুৰৰ ব্যৱহাৰ কেনেকৈ হবলৈ পালে সেই সম্পৰ্কে ইউৰোপ-সকলৰ মাজত তলৰ আখ্যানটো সকলোৱে বিশ্বাস কৰে:—

এসময়ত চাৰিজন বন্ধু আছিল। সিহঁতে চাকৰি বিচাৰি গৈ ৰাতি হ'লত এখন হাবিৰ মাজৰ আম গছ এজোপাৰ তলত শুবলৈ ললে। প্ৰত্যেকে পাল পাতি জাগি থাকি পহৰা দিব লাগিব বুলি স্থিৰ হ'ল। সেইমতে প্ৰথম প্ৰহৰ ৰাতি যিজনে পহৰা দিলে তেওঁ আছিল বৃত্তিত বাঢ়ৈ। বাকী তিনিওজন সেই সময়ত শুলে। তেওঁ হাবিৰ মাজত জুই একুৰা ধৰি তিনিওকে পহৰা দি থাকিল। বহি পহৰা দিয়া সময়খিনিৰ ভিতৰত তেওঁ কাঠৰ এটা ধুনীয়া নাৰীমূৰ্ত্তি সাজি পেলালে। এনেতে তেওঁৰ পহৰাৰ সময় উকলিল। তেওঁ পুতলাটো জুইৰ কাষতে এৰি অন্য এজনক জগাই দি টোপনিত পৰিল।

দ্বিতীয় মানুহজন আছিল এজন সোণাৰী। তেওঁ পুতলাটো দেখি ভাবিলে এনে ধুনীয়া পুতলাটো অলঙ্কাৰ পিন্ধালে আৰু ধুনীয়া হব। ইয়াকে ভাবি তেওঁ জোলোঙাৰপৰা অলপমান সোণ উলিয়াই লৈ কিছুমান অলঙ্কাৰ গঢ়িলে আৰু পুতলাটোৰ হাতে-কাণে পিন্ধালে। অলঙ্কাৰ পিন্ধাই দিয়াত পুতলাটোৱে যেন ঠিক হাঁহো-হাঁহো কৰি উঠিল। পহৰাৰ সময় শেষ হোৱাত তেৱোঁ পুতলাটো সেই অৱস্থাতে এৰি টোপনিত পৰিল। তৃতীয়জন বন্ধুৱে পহৰা দিবলৈ বহিল।

ব্যৱসায়ত এওঁ আছিল তাঁতী। কাপোৰ যোৱাত তেওঁৰ পটুতা জনাজাত। তেওঁ ধুনীয়া পুতলাটোক কিছুমান ধুনীয়া-ধুনীয়া পোছাক সাজি দি পিন্ধাই উলিয়ালে। পুতলাটো কেৱল জী উঠিবলেহে বাকী, নহলে সি হাতৰ মূঠিত লুকুৱা এটি জীৱন্ত নাৰীমূৰ্ত্তি। তেওঁৰো সময় উকলি গ'লত চতুৰ্থ বন্ধুজনক টোপনিৰপৰা জগাই দি তেৱোঁ শুবলৈ গ'ল।

এই চতুৰ্থ বন্ধুজনা আছিল এটা সেন্দুৰ-বেপাৰী। তেওঁ মূৰ্ত্তিটো দেখি ভাবিলে— মইনো ইয়াক কি দিম? মোৰ লগত সেন্দুৰত বাহিৰে একো নাই। মই বাৰু সেন্দুৰকে লিপি দি চাওঁচোন! এই ভাবি তেওঁ মূৰ্ত্তিটোৰ কপালত সেন্দুৰৰ ধুনীয়া ফোট এটি দিলে। তাৰ পাছত মূৰ্ত্তিটোৰ গালে-মুখে তেওঁ ৰঙা সেন্দুৰৰ টকটকীয়া ৰঙা প্ৰলেপ দি তাক তেজগোৰা ৰমণী এগৰাকীৰ দৰে কৰি তুলিলে। যেহোতে-পিহোঁতে ফোট-ৰং দিওঁতে দিওঁতে পুতলাটো জী উঠিল। ৰাতিও পুৱাল।

চাৰিওজন বন্ধুই সূৰ্য্যৰ ৰঙা ৰ'দত সেই মনোহৰ নাৰী-মূৰ্ত্তিটো দেখি সেইফালে থৰ লাগি চাই ৰ'ল। চাওঁতে চাওঁতে সেই নাৰী-মূৰ্ত্তিয়ে যেন

বাঢ়ি আহি যৌৱনত ভৰি দিলে। চাৰিওৰে মনত তেতিয়া সেই নাৰী-জনীক পত্নীৰূপে পাবলৈ প্ৰবল হাবিয়াস জন্মিল। পিছে নাৰী হ'ল এজনী, দৰা চাৰিটা। কেনেকৈ হব? কোনে নিব তাকে লৈ চাৰিওৰো মাজত কন্দলৰ সৃষ্টি হল।

ঠিক সেই সময়ত এটা সাধু সন্ন্যাসী যাওক সেই পিনেদি! সাধুক দেখি চাৰিও বন্ধুৱে উখনা-উখনি কৰিবলৈ এৰি তেওঁৰ ওচৰ চাপিল আৰু কলে—"হে সাধু, আপুনি আমাৰ চাৰি বন্ধুৰ মাজৰ এই কাজিয়াখন ভাঙি দিয়ক। নহলে আমি বন্ধু হলেও কিলা-কিলি কৰি মৰিমহঁক।"

সাধুৱে তেওঁলোকৰপৰা সকলো কথা আদিৰপৰা অন্তলৈ শুনি উঠি এই-ৰূপে ৰায় দিলে—যিয়ে মূৰ্ত্তিটো সাজিছিল। তেওঁ হব এই কন্যাৰ পিতৃ। যি সাজপাৰ পিন্ধাইছিল। তেওঁ হব তাইৰ ভ্ৰাতৃ। যি অলঙ্কাৰ পিন্ধাই-ছিলা তেওঁ মোমায়েক। সৰ্ব্বশেষত গালে-মুখে ঘঁহি পিহি কপালত সেন্দুৰৰ ফোট পিন্ধাই দি যি তেওঁৰ সুপ্ত যৌৱন জগাই তুলিলা তেৱেঁই ন্যায়তঃ এই কন্যাৰ পতি। তেৱেঁ এইক বিয়া কৰা উচিত হব। বাকী কেইজনে তেনেকৈ সহায় কৰাহঁক।"

কাজিয়াখন ভাঙিল। সাধুৰ কথামতেই কাম হ'ল। সেইদিন ধৰি সেন্দুৰৰ ফোট নাৰীৰ কপালত স্বামীৰ দ্বিতীয় স্বৰূপ হৈ বিৰাজ কৰিবলৈ ধৰিলে। 'মানিলে ধান, নামানিলে পতান' হৈ সি আজিও নাৰী সমাজত চলি আছে।

(৪)

কান্যকুব্জৰ ৰাজকুমাৰী

খ্ৰীষ্টীয় সপ্তম শতিকাত হিউৱেন চাং নামে এজন চীন দেশীয় পৰি-ব্ৰাজক ভাৰতলৈ আহিছিল। সেই সময়ত ভাৰতবৰ্ষ অনেক সৰু সৰু ৰাজ্যত বিভক্ত আছিল। অসম দেশৰ নাম সেই সময়ত কামৰূপ আছিল আৰু সেই কামৰূপ ৰাজ্যৰ ৰজা আছিল কুমাৰ ভাস্কৰবৰ্ম্মা। উত্তৰ ভাৰতৰ ৰজা আছিল হৰ্ষবৰ্দ্ধন। তেওঁৰ ৰাজধানী আছিল কনৌজত। পৰিব্ৰাজক হিউৱেন চাঙে ভাৰতৰ নানা ঠাই পৰিভ্ৰমণ কৰি সেই সেই ঠাইবোৰৰ একোটি টোকা লিখি ৰাখিছিল। তেও ভাৰতত প্ৰায় পোন্ধৰ বছৰ আছিল।

হিউৱেন চাং যেতিয়া কান্যকুব্জলৈ গৈছিল তেতিয়া কান্যকুব্জৰ বিষয়ে এটি আখ্যান তেওঁ মানুহৰ মুখে মুখে শুনিছিল। তাকে তেওঁ নিজৰ ভ্ৰমণ কাহিনীত লিপিবদ্ধ কৰি এৰিছিল। সেই কাহিনী মতে কান্যকুব্জৰ প্ৰাচীন ৰাজধানী আছিল কুসুমপুৰত।

কুসুমপুৰত এসময়ত এজন ৰজা আছিল—নাম ব্ৰহ্মদত্ত। ৰজা ব্ৰহ্মদত্ত বৰ গুণী, জ্ঞানী আৰু দয়ালু আছিল। প্ৰজাসকলে তেওঁক বৰ ভয় আৰু ভক্তি কৰিছিল। সমগ্ৰ জম্বুদ্বীপত (ভাৰতবৰ্ষত) তেওঁৰ সুখ্যাতি বৈ বৈ পৰিছিল। জনপ্ৰবাদমতে তেওঁৰ এহাজাৰ গুণৱান পুত্ৰ আৰু এশ পৰম ৰূপৱতী কন্যা আছিল।

সেই সময়ত গঙ্গাৰ তীৰত এজনা ঋষি আশ্ৰম পাতি বাস কৰিছিল। তেওঁ তপস্যাৰ বলত অজৰ-অমৰ হৈ পৰিছিল। বহুত হাজাৰ বছৰ হেনো তেওঁ ঘোৰ তপস্যাত কটাই দিছিল। এনেকৈ তপস্যাত নিমগ্ন থাকোঁতে থাকোঁতে তেওঁ এসময়ত গৈ এজোপা মৃত বৃক্ষৰং হৈ পৰিছিল।

তপস্যাত এনেকৈ মগ্ন থাকোঁতে এদিন আকাশেদি উৰি যোৱা চৰায়ে কেনেবাকৈ ন্যগ্ৰোধ নামে গছৰ গুটি এটা তেওঁৰ ওপৰত পেলাই দিলে। গুটিটো আহি মুনিৰ ডিঙি আৰু কান্ধৰ মাজত পৰিল আৰু তাতে বৈ থাকিল দিন চেবেকৰ পাছত বাদ বৰষুণ পৰি গুটিটোৱে শিপা আৰু গজালি মেলিলে। ক্ৰমাৎ সেই গজালি এজোপা বৃহৎ বৃক্ষত পৰিণত হ'ল আৰু সিয়ে মহাতপা ঋষিক বাদ-বৰষুণৰপৰা ৰক্ষা কৰিবলৈ ধৰিলে।

মুনিয়ে এদিন তপস্যাৰপৰা সাৰ পাই সেই গছজোপা তেওঁৰ কান্ধৰপৰা উভালি পেলাব খুজিলে, কিন্তু ওপৰলৈ চাই গছজোপাত নিশ্চিন্তমনে বাহ লৈ থকা গোটাচেৰেক চৰাই দেখি সিহঁতলৈ তেওঁৰ পুতৌ জন্মিল। তেওঁ তেতিয়া গছজোপাৰ একো হানি-বিঘিনি নকৰি ভাবি-চিন্তি কাল কটাবলৈ ধৰিলে! কান্ধত মহাবৃক্ষ লৈ তপস্যাত মগ্ন থকা সেই ঋষিক ওচৰৰ মানুহ-বোৰে নাম দিলে মহাবৃক্ষ ঋষি।

এইদৰে থাকোঁতে এদিন ঋষিয়ে ৰাজকন্যাবোৰক গঙ্গাৰ ঘাটত স্নান কৰি থকা দেখিবলৈ পালে। ৰূপ-যৌৱনসম্পন্ন দীপলিপ্ ৰাজকন্যাসকলক নদীত নাদুৰি-সাতুৰি স্নান কৰা দেখি ঋষিৰ মনত কাম ভাবৰ উদ্ৰেক হ'ল। তেওঁ কান্ধৰ গছজোপা নমাই থৈ গঙ্গাত গা-মূৰ ধুই-পখালি পৰিষ্কাৰ হ'ল আৰু দুই এখোজকৈ কুসুমপুৰলৈ গতি কৰিলে।

ৰজা ব্ৰহ্মদত্তই ঋষিৰ আগমনৰ কথা শুনি তেওঁক পাদ্যে-অৰ্ঘে পূজা কৰি আগবঢ়াই নিলে আৰু আগমনৰ উদ্দেশ্য সুধিলে। ঋষিয়ে কলে, "মহাৰাজ, তপস্যাত ইমান কাল নিৰ্বৰে থকাৰ পাছত এতিয়া মোৰ অন্তৰত সংসাৰ কৰিবলৈ প্ৰবল হেঁপাহ জন্মিছে। গতিকে সংসাৰ যাত্ৰাৰ কাৰণে আপুনি আপোনাৰ এগৰাকী ৰূপৱতী কন্যাক মোলৈ সম্প্ৰদান কৰিব লাগে।"

ৰজা বিমোৰত পৰিল। তেওঁ জানে যে উগ্ৰতপা মুনিক পৰাঙ্মুখ কৰিলে ঋষিয়ে তেওঁক তন্মুহূৰ্ত্তে শাপি ভস্ম কৰিব পাৰে। ইফালে কন্যাসকলৰো মত নোলোৱাকৈ তেওঁ সিবিলাকৰ কাকো জোৰ কৰি ঋষিলৈ বিয়া দিব নোখোজে। গতিকে ভাবি-চিন্তি তেওঁ ঋষিক কলে—"হে ঋষিৰাজ, আপুনি সেই সম্পৰ্কে নিশ্চিন্ত থাকক আৰু সম্প্ৰতি আশ্ৰমলৈ গৈ তাত বিশ্ৰাম লওক। মই মোৰ কন্যাসকলৰ লগতো পৰামৰ্শ কৰি আপোনালৈ যথাসময়ত বিবাহৰ শুভ প্ৰস্তাৱ প্ৰেৰণ কৰিম। মোক আপুনি তাৰ বাবে সম্প্ৰতি গোটাচেৰেক দিন সময় দিয়ক।" মুনিয়ে 'তথাস্তু' বুলি হৃষ্টচিত্তে বিদায় ললে।

ইফালে ৰজাই কন্যাসকলৰ আগত তেওঁলোকৰ বিয়াৰ প্ৰস্তাৱটো উলিয়াবহে পালে, সকলোৱে হাঁহি ঠাট্টা কৰি ৰজাৰ কথা মিছা ধেমালি বুলি উৰুৱাই দিলে। ৰজাই সেই বিষয়ে দুনাই কৈ তেওঁলোকৰ কোমল মনত আৰু আঘাত দিব নুখুজিলে।

সেইদিনা বেপৰা ৰজা ঘোৰ চিন্তাত পৰিল। দিন গৈ অহাৰ লগে লগে তেওঁৰ মনৰ চিন্তা আৰু উদ্বিগ্নতা বাঢ়ি আহিল। দিনক দিনে তেওঁ ক্ৰমে শুকাই খীণাই যাবলৈ ধৰিলে। খোৱা-বোৱাতো একো নিশ্চয়তা নোহোৱাত পৰিল। তাকে দেখি এদিন ৰজাৰ নিচেই সৰুজনী জীয়েকে কলে, "পিতা, আপুনি কিয় এনেকৈ আহাৰ-বিহাৰ, নিদ্ৰা-বিশ্ৰাম আদিৰ প্ৰতি উদাসীন হৈ নিজৰ শৰীৰটোৰ বিনাশ সাধন কৰিবলৈ ওলাইছে? মই আপোনাৰ মনৰ চিন্তা দূৰ কৰিবলৈ যিহকে লাগে তাকে কৰিম, আপুনি মোক আপোনাৰ অশান্তিৰ কাৰণটো কবই লাগিব।"

ৰজাই কলে, 'আই, ঋষিৰ অভিশাপত মোৰ বিনাশ আসন্ন। তেওঁৰ লগত বিয়াৰ প্ৰস্তাৱত তোমালোকৰ অমান্তিয়েই তাৰ একমাত্ৰ কাৰণ। মোৰ এই শান্তিময় ৰাজ্যখনো তেওঁৰ শাপত ছাৰখাৰ হব। তোমালোকৰ কি গতি হয় তাকো মই অনুমান কৰিব পৰা নাই। এইবোৰেই মোৰ চিন্তাৰ কাৰণ।"

ৰাজকন্যাই ক'লে, "তেন্তে পিতা, আপুনি মনৰ সকলো চিন্তা ভাৱনা [illegible] কৰি মোকেই [illegible] সম্প্ৰদান কৰক। মই সৰ্ব্বতোভাৱে প্ৰস্তুত।"

জীয়েৰৰ কথা শুনি ৰজাৰ বুকুৰ ওপৰৰ পৰা যেন মহা ভাৰ এখনহে [illegible] তেওঁ তৎকালিকে তাকে কৰিবলৈ মান্তি হ'ল। মহা সমাৰোহেৰে [illegible] জীয়েকক নি মুনিৰ লগত [illegible]মত বিয়া দিলে।

কথা-প্ৰসঙ্গত ঋষিয়ে এদিন ৰজাক সুধিলে, "মহাৰাজ, আপুনি যে [illegible] নিচেই গুমলীয়া জীয়েককহে মোলৈ বিয়া দিলে, বাকী ৯৯ গৰাকীৰ কাকো নিদিলে, তাৰ কাৰণ কি?

ৰজা সত্য কথা ক'বলৈ বাধ্য হ'ল। তেওঁ তেওঁৰ বাকী ৯৯ গৰাকী জীয়েকৰ অস্বীকাৰৰ কথা মুনিক ক'লে। মুনিৰ আত্মগৌৰৱত আঘাত লাগিল। খণ্ডত বিষ্ণুৰ দৰে তেওঁ [illegible] উঠিল "ক্ষণস্থায়ী ৰূপ-যৌৱনৰ ওপৰত [illegible] অহঙ্কাৰ [illegible] অসম্মান কৰাৰ ফল সিহঁতেও বুজা [illegible] এই মুহূৰ্ত্তৰ পৰাই আপচু হৈ পৰক [illegible] সিহঁতৰ প্ৰত্যেকৰে পিঠিত বটী-কুঁজ ওলাওক।'

ঋষিৰ শাপ ব্যৰ্থ নাযায়। ৰজাৰ নিৰানব্বৈজনী ৰূপৱতী কন্যা তন্মুহূৰ্ত্ততে [illegible] কুৰূপা হ'ল। সিহঁতৰ অনুনয়-বিনয় আৰু ৰজাৰ কাতৰ অনু[illegible] ঋষিক টলাব নোৱাৰিলে। শাপ-বিমোচনৰ উপায় নোলাল। ৰাজ-কন্যাৰ [illegible] পৰাই [illegible]মপুৰৰ নাম [illegible] কন্যা কুব্জা বা [illegible] হ'ল

অসমৰো [illegible] অভিজাত সম্ভ্ৰান্ত লোকে কান্যকুব্জৰ লোক বুলি গৌৰৱ কৰিব খোজে।

(৫)

দাম্পত্য প্ৰেমৰ এটি ছবি

[illegible] নি[illegible]ৰ মাজত এটা আখ্যান চলি আছে। কিছুকাল পূৰ্ব্বে [illegible]ৰ সমাজত এহাল আদৰ্শ দম্পতী আছিল! সিহঁত দুয়োৰো মিলা-[illegible]তি দেখি সকলোৱে আচৰিত হৈছিল। পিছে বিবাহিত জীৱনৰ মাজ [illegible]ত সিহঁতৰ বিচ্ছেদ ঘটিব লগীয়া হ'ল। এদিন মতাটো মৰি থাকিল। মাইকীজনীয়ে পতিৰ শোকত সংজ্ঞাশূন্য হৰলৈ ওলাল। তাই পাঁচ দিন ভাত-[illegible] নাখালে আৰু পতিৰ শৱটোৰ ওচৰতে শ্মশানত বহি কান্দি থাকিল।

এনে সময়ত কিছুমান ডকাইতক সেই শ্মশানতে পিং দি বধ কৰা হ'ল। ৰজাই সিহঁতৰ শ-বোৰ কিছুদিনৰ কাৰণে পহৰা দি ৰাখিবলৈ এটা সৈনিকক সেই কামত নিযুক্ত কৰিলে। পহৰা দি অকলে অকলে ইফাল-সিফাল-কৈ ঘূৰি থাকোঁতে সি সেই তিৰোতাজনীক দেখিলে। সি ওচৰ চাপিল আৰু নানাভাৱে তাইক সান্ত্বনা দিবলৈ ধৰিলে। তাৰ সান্ত্বনা আৰু সহানুভূতিত ক্ৰমে ক্ৰমে তাই ইমানে মোহ গ'ল যে মৃত পতিৰ শোক তাই পাহৰিয়ে পেলালে।

এইদৰে দুয়ো নিজৰ শ ৰখি থাকোঁতে এদিন ডকাইতহঁতৰ এটা শ কোনোবাই চুৰ কৰি নিলে। ৰখীয়া সৈনিক বিমোৰত পৰিল। কৰ্ত্তব্য অৱহেলা কৰাৰ পৰিণাম কেনে বিষম হব ভাবি ভয়ত তাৰ তৎ নোহোৱা হ'ল। তিৰোতাগৰাকীৰ তাৰ প্ৰতি সহানুভূতি জন্মিল। তাই বুধি এটা দি তাক এইদৰে সান্ত্বনা দিলে—"তুমি কিয় ইমান দুখ কৰিছা? মোৰ স্বামীৰ শটোকে তুমি নি পিং দিয়াৰ দৰে ৰাখাগৈ। ভয় কিহৰ?"

সেইমতে কাম কৰি সৈনিক বাচিল আৰু তিৰোতাগৰাকীকো শোকৰ-পৰা বচাবলৈ নিজে সামৰি ললে। দুয়োৰো নতুন সংসাৰ আৰম্ভ হ'ল।

উপৰোক্ত ঘটনটোৰ দৰে পুৰুষৰ পক্ষৰ দাম্পত্য প্ৰেমৰ ৰূপটোৰো এটা ফাল দেখুৱাবলৈ অসমীয়া সমাজতে একাধিক দৃষ্টান্ত জীয়াই আছে। সিদিনাখন মাত্ৰ এগৰাকী উচ্চপদস্থ ৰাজসায়া কৰ্মচাৰীৰ পত্নী-বিয়োগ ঘটিলত তেওঁ কান্দি কান্দি চিঞৰি গগন বিদীৰ্ণ কৰিছিল। কেইটা দিনৰ পিছলৈ কান্দি কান্দি সকলোৰে আগত বাৰে বাৰে তেওঁ কৈছিল "মই আৰু বিয়া নকৰাওঁ ঐ। মোক কোনেও বিয়া কৰাবলৈ নধাৰিবি ঐ। মই এইদৰেই থাকিম। এনে গুণৱতী ভাৰ্য্যাৰ কথা মই জীৱনত কেনেকৈ পাহৰিম?" তেওঁৰ আগত কোনেও বিয়াৰ কথা উত্থাপন কৰা নাছিল, তেনে কথা উত্থাপন কৰাৰ সেইটো সময়ো নছিল।

পিছত, পত্নী-বিয়োগৰ দুমাহ উকলি নৌযাওঁতেই তেওঁ বিয়া কৰাবলৈ ছোৱালী বিচাৰি বলিয়াৰ দৰে হৈ সদিয়াৰপৰা ধুবুৰীলৈকে ঘূৰি ফুৰিছিল। তেওঁ বন্ধু-বান্ধৱৰ আগত তাৰ কাৰণ দৰ্শাইছিল— তেওঁৰ হেনো ঘৰখন নৰখে। আগৰ গৰাকীৰ ল'ৰা-ছোৱালীবোৰ উভমুৰা হব। তেওঁৰ পিতাকে তিনি গৰাকী বিয়া কৰাইছিল, ইত্যাদি। চুৰ-খাৰকৈ হলেও বিয়া কৰাই তেওঁ পুনঃ ঘৰ পাতিলে।

শৰৎ; ১৯৬২

দোষ কাৰ ?

ভাইটিহঁতৰ কাৰণে বেলেগ গৃহ-শিক্ষক। ভাইটি, বিজু আৰু আৰু তনু তিনিও অন্য এটা স্কুলত পঢ়ে। প্ৰথম কন্যা বুলিয়েই হব পায়, দেউতা আৰু আয়ে মোক অলপ বেছি মৰম কৰে। স্কুললৈ যাওঁতে বিজু, তনু আৰু মই— তিনিও যাওঁ। কেতিয়াবা মটৰত যাওঁ আৰু কেতিয়াবা মটৰ কৰ-বালৈ দিলে খোজ কাঢ়িয়ে যাওঁ। তেতিয়া আমাৰ লগত আমাৰ পুৰণি মালী লহকৰ যায়। স্কুল ছুটী হোৱাৰ লগে লগে সি আকৌ আমাক লৈ আহেগৈ।

মই তেতিয়া প্ৰৱেশিকা পৰীক্ষা দিবলৈ সাজু হৈছোঁ। অকল যে সাজ-পাৰৰ পৰিপাটী আৰু চাল চলনৰ কাৰণে স্কুলত মোৰ প্ৰতিপত্তি আছিল এনে নহয়, পঢ়া-শুনাতো প্ৰথম হোৱা বাবে মোৰ প্ৰশংসা সকলোৰে মুখে মুখে হৈ পৰিছিল। বাৰ্ষিক পৰীক্ষা হোৱাৰ লগে লগে পঢ়াৰ চিন্তা অলপ বাঢ়িল। গণিতত মোৰ অসাধাৰণ ভাল বুলি খ্যাতি আছিল। কিন্তু সাহিত্য বিষয়টোত মই সম্পূৰ্ণ তৃপ্তি নাপাইছিলোঁ। সেই বুলি পৰীক্ষাত সাহিত্যত প্ৰথম হব পৰা নাছিলোঁ, যদিও কেতিয়াও কম নম্বৰে পোৱা মনত নপৰে। মোৰ বাবে ৰখা বৃদ্ধ গৃহ-শিক্ষক ৰামচৰণ মহাশয়ো গণিতপ্ৰিয় মানুহ। সাহিত্য পঢ়িবলৈ বা পঢ়ুৱাবলৈ তেখেতো ভাল নাপায়। সেই কাৰণে ইংৰাজী আৰু গণিত মাথোন তেওঁ শিকাইছিল। সংস্কৃত আৰু সাহিত্য মই নিজে পঢ়ি লব লাগিছিল।

'নিজৰা' সেইবাৰ আমাৰ মেট্ৰিকৰ পাঠ্য। স্কুলত প্ৰধান শিক্ষয়িত্ৰী বাইদেৱে যি পঢ়ুৱায় তাত মোৰ সম্পূৰ্ণ মন বহা নাছিল। তেওঁ বুজা কথাকেই বুজাই থাকে আৰু কঠিন কিবা অলপ পালে বাহিৰা কথা কৈ সময় নিয়ায়। আমিও তেওঁৰ ডাবি-হুকি, গালি-শপনি আৰু বকনিৰ ভয়ত একো প্ৰশ্ন নকৰোঁ। প্ৰেমৰ কথা কিবা পালেই তেও নিজেই আগেয়ে ৰঙা-চঙা পৰি উঠে আৰু কয়— এইবোৰ কি লিখিছে? একো আৱশ্যক

নাই। 'পদ্য নহয়'—বুলি প[illegible] নুটি[illegible] যায়। অ[illegible]নিও তেওঁৰ কথ[illegible]তেই কবিতাৰ কিছু অংশ আধা বুজা, নুবুজা বা বিপৰীত প্ৰকাৰে বুজাকৈয়ে এৰি থৈ যাওঁ। এদিন আমাৰ শ্ৰেণীৰ প্ৰতিমাই এনে নুবুজা কবিতা এটা ভাব-খৰ বুজাবলৈ কৰবে পালে, প্ৰধান শিক্ষয়িত্ৰী বাইদেৱে তাইক নো কিয় মান নৰখিলে? আনকি চৰিত্ৰৰ দোষ ঘটিছে বুলি কৈ অভিভাৱকক [illegible] বুলি ভাবিও দিলে। বেচেৰীয়ে লাজ আৰু অপমানত কান্দি পেলাইছিল। এইদৰে আমাৰ শ্ৰেণীৰ সাহিত্য শি[illegible] ছিল

বহু দিনৰ[illegible] ভা[illegible] আছিলে, ভ[illegible]ট [illegible] শিক্ষক [illegible] সা[illegible] ত্যৰ কঠিন ব্যাখ্যা[illegible] বুজি [illegible] [illegible] নাজনে, তেওঁৰ [illegible] চাৰিবলৈ [illegible] [illegible] শিক্ষক বুলি যে তেওঁৰ আগ[illegible] [illegible] [illegible] দিন [illegible] [illegible] শিক্ষ[illegible] আহিল, [illegible] অভিশা[illegible] [illegible]

[illegible] প্ৰা[illegible], এ[illegible] [illegible] চিন্ত[illegible]। এদিন [illegible] [illegible] [illegible] মোৰ বা বুঢ়[illegible] শিক্ষ[illegible] থি দিয়া কথা [illegible] বুজি উঠিল [illegible]

[illegible] মোৰ [illegible] কয়[illegible] অ[illegible] বুঢ়[illegible] [illegible] পাৰে। তেওঁ অসমীয়া বুজালে গুনি [illegible] ভাল লাগে। সাহিত্য [illegible] লগে লগে [illegible] গল্প [illegible]। তেওঁৰ বুঢ় [illegible] বীজ-গণিতৰ [illegible], ইত্যাদি। তলৈ মোৰ [illegible]। আকৌ তেওঁৰ [illegible] দেখি থাওঁ। [illegible] দেখু[illegible] কওঁ—[illegible] তেওঁৰ 'ছ[illegible]' [illegible] [illegible] নে। তেওঁতে শিকিবি,

আমাক ভাৰো শিকিবলৈ দিবি ? আমাক শিকালেও বুজিলো হতেন কেও কেনে বুজায়। তেও জানে আমক শিকাব ?

—শিকাব তো ! তই নেবাব কিয় ? তেওঁ জানে। তোক নিশিকাও বুলিছে ?- সি কয়। আয়ে ভিতৰৰপৰা আমাৰ তর্কথন শুনি মোক মাতে— মিন ! কি কাজিয়া কৰিছ ? তোৰো যদি কিবা শিকিবলগীয়া আছে তেন্তে নিশিক গৈ কিয় ? বুঢ় শিক্ষকে বুজাব নোৱাৰে নেকি ?

—তেও অসমীয়া অরু সংস্কৃত নিশিকায় [illegible]। মই থং কৰাৰ দৰে [illegible]ক উটৈ [illegible]।

—কেৰ', অসমীয়া [illegible] নে শিকাব লাগে নে ? অসমীয়া দেখোন এনেয়ে পাৰি। তোমানে [illegible] নটো আছে ? আমি দেখোন সদায় [illegible] কও- [illegible] যেই। - আয়ে কয়।

—অসমীয়াত আজিকালি ভুল নম্বৰ নও নেকি ? মই দেখেন কোনো দিন অসমীয়া [illegible] পথম নম্বৰ [illegible] ন [illegible] চশ [illegible] হৃদ [illegible] ?

--কিয় ? তেওঁক মাষ্টৰে শিকাব নোৱাৰে নেকি ?

—পাৰে. পিছে [illegible] বে [illegible] প [illegible] বু [illegible] মই [illegible] না [illegible]।

—অ [illegible] নিচে, [illegible] ব বিদ্যাৰ্থিনি [illegible] পাব বুলি লজ লাগে ? তোক খুলি [illegible] দিয় ? কিমান দিনে বৈচুকা [illegible] গৈ [illegible] তই [illegible] দিব পাৰ, অথচ পঢ়াখিনি শিকাব নোৱাৰ। [illegible] মই বাক তেওঁক [illegible] দিম তই গৈ [illegible] সেইদিনমান নপঢ়িলেও হব : ইতিৰ [illegible] দিন [illegible]। তাৰে [illegible]। মই নীৰৱে শুনি [illegible]।

[illegible] ছিনা পুৰ [illegible] শিক্ষক আহিব [illegible] [illegible] মোৰ পিছত মোৰ বৰ [illegible] হল [illegible] গৈ [illegible] শিক্ষকক [illegible] পঢ়া শিকিম ! কিবা প্রশ্ন [illegible] যদি [illegible] দিব নোৱাৰে, [illegible] কি ভাবিব ! ইমান দিন [illegible] মোক ভাল [illegible] বুলি ভাবি আছিল। এতিয়া পঢ়া নোৱাৰিলে কি ভাবিব ? কেনেকৈ সাহপাৰ [illegible] কোনটো কবিতা প্রথমে বুজিম ইত্যাদি চিন্তাত সেইদিন মোৰ ভাত টোপনি নহল ; বাতিৰ অশ্রান্ত পাছে টোপনিৰ [illegible] চিন্তাবোৰে বেছি উগ্র- রূপ ধৰে।

ৰাতি পুৱাল। পোহৰ হোৱাৰ লগে লগেই মই উঠি দাঁত পৰিষ্কাৰকৈ ঘঁহি হাত মুখ ধুই উঠি চাহ খালোঁ। সময় যোৱাৰ লগে লগে মোৰ চিন্তা বেছিকৈ বাঢ়িবলৈ ধৰিলে। ভালকৈ সাজ-পাৰ পিন্ধি আচিত মুখ চাই মূৰ ফণিয়ালোঁ। নতুন শিক্ষকে স্নো ঘঁহিলে কিবা কয় বুলি মনত অলপ ভয় হ'ল। স্নো নঘঁহিলে আকৌ মুখখন কিবা ফপৰা হৈ থাকে আৰু মনটোও প্ৰফুল্ল নহয়। অৱশেষত তেখেতে যাতে স্নো ঘঁহা গম নাপায়, তালৈ যত্ন ৰাখি অতি সাৱধানে মুখত অলপ ঘঁহিলোঁ। তাৰ পিছত 'সন্দৰ্ভ', 'নিজৰ' আৰু সংস্কৃত পদৰ বাচনিখন সাজুকৈ ৰাখি শিক্ষক অহালৈ বাট চাই থাকিলোঁ।

[illegible] সাত বজাৰ লগে লগে শিক্ষক আহিল। গতানুগতিকভাৱে তেওঁ মাতিলে [illegible]! আই ভিতৰত আছিল। তেওঁ শিক্ষকৰ মাত শুনিয়েই [illegible] আহি কলে,—মাষ্টৰ [illegible], মিনতিৰ বাছনি পৰীক্ষা ওচৰ পালেহি। [illegible] নুবুজা কিবা আছে বোলে। কেইদিনমান বিশেষকৈ পঢ়িব লাগে। [illegible] পঢ়াব, [illegible] নহয় শিক্ষক—ভাল, আহিবলৈ কওক— [illegible] থাকিল। মই [illegible] কৰা কচুৰি [illegible] লোক; তথাপি [illegible] পিছত তেওঁ তলমূৰকৈ অলপ হাঁহিলে। [illegible] নতুন শিক্ষকৰ আৰু নতুন ছাত্ৰৰ কথা ভাবি। হব পাৰে [illegible] দিনৰ [illegible] মোৰ [illegible]!

[illegible] নিৰ্দ্দেশ-পত্ৰ নি—ছাৰ, অলিবপৰা মোক পঢ়াবলৈ [illegible] বুলি [illegible] চকৰ [illegible] থিয় হলোঁ, আৰু তেওঁ [illegible] বহিলোঁ।

[illegible], মই কেনেকৈ তোমাক পঢ়াব পাৰিম? —তেওঁ কলে।

—[illegible]; [illegible] কেলেই? [illegible] আপোনাৰ কথা [illegible] ভালকৈ [illegible]

—[illegible] ভালকৈ [illegible] তেওঁ পঢ়া নোৱাৰিলে মই শাস্তি নিদিওঁ [illegible] কা [illegible]। পিছে তুমি হৈছা [illegible] টোনৰ 'ফাৰ্ষ্ট গাল'। মোৰ ভুল হলে নাহাঁহিবা আকৌ। তোমালোকৰ [illegible]ইংৰেজী[illegible] আমি তোমালোকক শিকাব নালাগে।

তেওঁ কেনেকৈ কোৰাণত মই লাজতে বহা পৰো। তেওঁ ক'লে, —আৰম্ভ কৰা। মই ভয়ে ভয়ে নিজৰাৰ 'হোমৰ কাষত' নামৰ কবিতাটো উলিয়াই দিলোঁ। তেওঁ আকৌ ক'লে—পঢ়া, আৰম্ভ কৰা। মোৰ পঢ়িবলৈ লাজ লাগিল। মতা মানুহৰ আগত মই কোনো দিনে পঢ়িব নোৱাৰোঁ। সেইবাবে লাহেকৈ কলোঁ—মই নোৱাৰোঁ, আপুনি পঢ়ি দিয়ক। কোঠাৰ লগে লগে চাদৰৰ আগটোৰ সৈতে সোঁহাতখনেৰে মোৰ মুখখন আপোনা-আপুনি ঢাকি দিলে। তেওঁ অলপ হাঁহি [illegible] কলে এবাৰতো তোমালোকক হোমৰ বাবলৈ আনোঁতে [illegible] নিয়া; আমিহে নিজে যাওঁ। মোৰেই ভুল হৈছিল। এই বুলি তেওঁ প্ৰথমে হিন্দুৰ কাৰণে বিয়া কি বস্তু, কেই বিধ, পৰজন্ম কি বিবাহ সম্বন্ধে কোন ধৰ্ম্মৰ কি মত, কোন দেশৰ কি ৰীতি ইত্যাদি কথা এক দিনেই [illegible] ভাষণ কৰবলৈ ধৰিলে। মই কিতাপখনৰ পিনে চকু দি তেওঁৰ কথা মনোযোগেৰে শুনি থাকিলোঁ। সেইদিনা কবিতাটোৰ অলপ মাত্ৰ পঢ়া হল, কিন্তু তেওঁৰ প্ৰ সঙ্গিক পৰিচয় দিওঁতে অধিক সময় গল।

[illegible] সেইদিনাৰ শেষ [illegible] ৰ তলত লাগিল। সেই কবিতাটো পঢ়িলে আধিক্যতাক [illegible] যেন লাগে। কবিতাটোৰ 'অলঙ্কাৰ বাহুল্য [illegible]; কিন্তু যেনে আছে অশ্লীল [illegible] দুশাৰী [illegible] নতুন শিক্ষকে [illegible] নিৰ্ব্বাচিত যক্ষৰ আখ্যানৰ সৈতে যিমান [illegible] দি বুজাইছিল, তাক মই আজিও পাহৰিব পৰা নাই।

বাছনি পৰীক্ষা গ'ল। মই [illegible] হ'লো। মোৰ কাৰণে প্ৰথম হোৱা একো বিচিত্ৰ নাছিল; কাৰণ [illegible] স্কুলটোৰ পৰীক্ষাতে মই প্ৰথম হৈ আহিছিলোঁ। তথাপি এইবাৰৰ বাছনি পৰীক্ষাৰ ফল পাই কিছু আনন্দ লাগিল, [illegible] সাহিত্যত প্ৰথম হলোঁ। যিবতো পৰীক্ষাৰ ফল আৰু মনৰ আনন্দ দেখি মোক নতুন শিক্ষকৰ তলতেই যিমান দিন আৱশ্যক হয় পঢ়িবলৈ কলে। বুঢ়া শিক্ষকে [illegible] পঢ়াবলৈ ধৰিলে।

ফাইনেল পৰীক্ষা হৈ গ'ল। [illegible] খবৰ ওলাল। অসমীয়াত V (ভি) পালোঁ। ইষ্ট কুটুম্ব আৰু লগৰ [illegible] মোৰ প্ৰশংসা কৰিবলৈ ধৰিলে [illegible] মনত [illegible] লাগিল। [illegible] বশতঃ অকৃতজ্ঞ হোৱা কৰা

বাবে বুলি নাপালোঁ। তথাপি অপ্ৰত্যাশিত অশাতীত কৃতিত্ব লভি অন্তৰখন আনন্দত নাচি উঠিল। খবৰ ওলোৱাৰ দিনাই নতুন শিক্ষকজনে এটা উপহাৰ দি পঠাইছিলে —নিজৰ নতুন পাৰ্কাৰ ফাউণ্টেন পেনটো। নাৰাখিব বুলি ভয় লাগিছিল। সেইবাবে লিখি পঠাইছিলোঁ গ্ৰহণ নকৰিলে অপমান কৰা বুলি ভাবিম আৰু গধূলি চাহ খাবলৈ নাহিলে বৰ লাজ পাম। —মই মতা বাবেই তেওঁ গধূলি আহি [illegible] প্ৰথমে ভ[illegible] যদিও সেইটো নহয়। [illegible] লাগিছিল এখন [illegible] পঠাইছিল যি হওক, তেওঁ গধূলি আহিল। মোৰ [illegible] লাগিছিল [illegible] কথা [illegible] কৈ দি লাজ পেলাম বুলি। [illegible] তেওঁ [illegible] নহলে অন্য এদিন কিন্তু [illegible] আৰু [illegible] মোক [illegible] নকৰে। [illegible] ৰি.

• • • •

[illegible] মনৰ [illegible] ভাবিছিলোঁ কিন্তু [illegible] কৰিলে। [illegible] অ[illegible] চহৰৰ ডেকা [illegible] গ'ল। [illegible] আপোন বুলি [illegible] এ পাছ কৰ[illegible] অজানা [illegible] এই চিন্তাই [illegible] সময় মোক [illegible]।

যি হওক [illegible] আছি স্বামীৰ মনৰ লগত পূৰ্ণ পৰিচয় [illegible] দূৰ [illegible] মই [illegible] স্বামী [illegible] দিলে যে মই তেখেতক তেখেতৰ [illegible] স্বামীদেৱ বুলি মাতিবলৈ [illegible]।

[illegible] দুই চাৰি দিন [illegible] কথা। সপোনতো ভবা নাছিলোঁ মতা মানুহবোৰ [illegible] মইতো [illegible] অভ্যস্ত [illegible] পাৰে বুলি। যৌৱনৰ [illegible] নিজে পাৰিব যাব পাৰিছিল, সি প্ৰথমতে [illegible]; সেই বুলি মই যে নতুন সংসাৰৰ নতুন আনন্দ [illegible]। [illegible] আছিল ইমানেই যে [illegible] প্ৰকাশ

কৰিব পাৰিছিল; মোৰ পক্ষে কিন্তু দিনদিয়েকলৈ সম্ভৱ হোৱা নাছিল। লাহে লাহে মোৰো কিন্তু সঙ্কোচ ব্যৱধান দূৰ হবলৈ ধৰিলে। স্বামীৰ মন তেওঁ কোৱাৰ দৰেই সৰল আৰু অসন্দিগ্ধ বুলি ভাবি মই মোৰ জীৱনৰো সুখ-দুখৰ সকলো কাহিনী এক এক তেওঁক কবলৈ ধৰিলোঁ। এদিন কথা প্ৰসঙ্গতে মই মোৰ নতুন 'পাৰ্কাৰ পেন'টো গৃহ-শিক্ষক উপহাৰ দিয়াৰ কথা উল্লেখ কৰি তেওঁৰ গুণ-গৰিমা বৰকৈ বখানিলোঁ। স্বামীয়ে যে সেই কথা তেনেই সৰল সহজভাৱে গ্ৰহণ কৰিব পৰা নাছিল, সেই কথা তেতিয়া গম পোৱা নাছিলোঁ।

এদিন স্বামীৰ অনুমতিক্ৰমে ডেক্স 'ছাৰ'ক চাহ খাবলৈ নিমন্ত্ৰণ কৰিলোঁ। সেইদিনা শনিবাৰ। ডেক্স 'ছাৰ'ৰ ঘৰ গাঁৱত। তেও তিনিমান বজাত আহি পালে। হাত-মুখ ধুবলৈ দি মই তেওঁৰ লগত কথা পাতিলোঁ; লাগে লাগে চাহ-জলপান কৰাতো লাগি গলো।

চাৰি বজালৈ চাহ-জলপান সজোঁতেও স্বামীদেৱ অফিচৰ পৰা নাহিলগৈ। মই 'ছাৰ'ৰ লগত কথা পাতি থাকোঁতেই তেখেত আহি ভিতৰ সোমাল। তেখেতক সম্ভাষণ জনাবৰ কাৰণে 'ছাৰ' থিয় হ'ল। মই তেখেতলৈ কলো—এখেতেই আমাৰ ডেক্স 'ছাৰ'। 'ছাৰ' নমস্কাৰ জনালে, স্বামীদেৱে কিন্তু প্ৰতিনমস্কাৰ নিদি 'অ' বুলি অলপমাত্ৰ চকু কোঁচাই মূৰ কেৰাকৈ দৰে কৈ ভিতৰলৈ সোমাই গ'ল। মই তেখেতৰ এনে ব্যৱহাৰত বিবুদ্ধি পৰিলোঁ যদিও তাক প্ৰকাশ নকৰি তেওঁৰ পাছে পাছে ভিতৰলৈ গলোঁ। হাত-ভৰি ধুবলৈ পানী দি হুকুমকালৈ চাহ আনিলোঁ বুলি চাহ খাবলৈ মাতিলোঁ। স্বামীদেৱে কলে—নালাগে, মই ভিতৰতেই খাম। তোমাৰ শিক্ষকক বাহিৰত দিয়াগৈ। মোৰ এটা জৰুৰী কাম আছে; মই বহিব নোৱাৰোঁ। তেওঁ কোৱা মতেই কাম হ'ল। চাহ খোৱাৰ পাছত স্বামীদেৱ ওলাই গ'ল, আৰু 'ছাৰ'ক কৈ গ'ল—তুমি বহা। কথা-বতৰা পাতিবলৈ আজি সময় নহ'ল। 'ছাৰ' সাৰে চাৰিমান বজাত যাবলৈ ওলাইছিল। মই তেওঁক যাব নিদিলোঁ। কাৰণ স্বামীৰ লগত বিশেষভাৱে পৰিচয় কৰি দিম বুলি ভাবিলোঁ। কলোঁ— মোৰ স্বামী কিবা কামৰ লেঠাত ওলাই গল, তেনে অৱস্থাত তেখেতৰ লগত ভালকৈ চিনাকি কৰি নিদিয়াকৈ মই আপোনাক যাব দিব নোৱাৰোঁ।

আজি নিশা আপুনি ইয়াতেই আলহী থাকিব লাগিব। —অগত্যা মোৰ অনুৰোধ এবাৰ নোৱাৰি অনিচ্ছা সত্ত্বেও তেওঁ থাকিবলৈ বাধ্য হ'ল।

সেই দিনা স্বামী ৰাতি চাৰে ন বজাতহে উভতিল। ন-বজালৈ বাট চাই, নহা দেখি 'ছাৰ'ক মই খুৱাই-বুৱাই শুবলৈ আদৰ-সাদৰকৈ শয্যা পাতি দিলোঁ। বাহিৰৰ খোটালীত 'ছাৰ'ৰ বিচনা। তেওঁ শুবলৈ বুলি বিচনাত উঠোঁতেই মোৰ স্বামী আহি পালে। মই দুৱাৰমুখত থিয় হৈ 'ছাৰ'ৰ লগত কথা পাতি আছিলোঁ। স্বামীদেৱে দেখোন অপ্ৰত্যাশিতভাৱে আহি চকী এখনত বহি পৰিল। 'ছাৰ'ক তেওঁ অন্য কথাৰ মাজতে তেওঁৰ 'ফাউণ্টেন'টো কিমান দি আনিছিল সুধিলে। ছাৰে সকলো কথা বিবৰি কলে। কোৱা বাহুল্য যে এই কলমটোকেই মই তেওঁক উপহাৰ দিছিলোঁ। স্বামীদেৱে তাক আধিক কথা নকৈ হাত-ভৰি ধুই ভাত খাই শুই থাকিল। তেখেতৰ আচৰণ দেখি মোৰ মনটো বৰ বেয়া লাগিল।

পিছদিনা পুৱা উঠি তেওঁ ছাৰক ধুমি চাহ খাই উঠি যাওঁগে—বুলি ঠিক হ'লেই গ'ল। [illegible] তেওঁ পাৰি আছিল; চাহ নাখালে। তেখেতৰ আচৰণত মই বৰ লাজ পালোঁ। ছাৰো গ'লগৈ। মই তেখেতক স্বামীৰ অসুবিধাৰ কথা কৈ বেয়া নোপোৱাকৈ বিদায় দিলোঁ।

সেইদিনা সন্ধিয়া ঘুৰি আহি স্বামীদেৱে মোক কলে —মিন, তুমি সম্প্ৰতি এমাহমানৰ বাবে দেউতাৰাৰ ঘৰলৈ যোৱাগৈ। মই ছুটী ল বিশেষ কাৰণত কলিকতালৈ যাব লাগে। মই এই মতত সন্মত হোৱা নাছিলোঁ, কিন্তু তেওঁক বুজাই শেষত সন্মত হবলৈ বাধ্য হলোঁ। পিছদিনাখন মটৰেৰে নি তেওঁ মোক দেউতাৰ ঘৰত থৈ আহিল।

• • •

এনেকৈ দুমাহ কি তিনিমাহ পাৰ হ'ল। স্বামীয়ে মোক নিবলৈ নাহিল। কলিকতালৈ যাওঁ বুলি তেওঁ চাৰি মাহৰ ছুটী লৈ শ্বিলং পালেগৈ। মোৰ অনুৰোধত দেউতাই তেওঁৰ এজন বন্ধুৰ পৰা স্বামীদেৱৰ ঠিকনাটো আনি মোক দিলে। মই তিনিখন চিঠি লিখিলোঁ, উত্তৰ নাই। অৱশেষত এদিন এটা খামত স্বামীৰ পৰা চিঠি এখন আহিল। মই আথেবেথে চিঠিখন খুলি পঢ়িবলৈ ধৰিলোঁ। দুটা মাত্ৰ বাক্য মিন! মই বোধহয় প্ৰবঞ্চিত

হৈছোঁ ; সম্প্ৰতি তাতেই থাকি তুমি—যদি কিবা পাপ কৰিছিলা—তাৰ প্ৰায়শ্চিত্ত কৰা। —চিঠি পঢ়ি মই একো বুজিব নোৱাৰিলোঁ। ভাবিলোঁ৷ কাৰ পাপ! কি প্ৰায়শ্চিত্ত? এইবোৰ আতিগুৰি নথকা অবাস্তৱ প্ৰশ্নই মোক চিন্তা-সাগৰত পেলালে। এই চিঠিৰ কি উত্তৰ দিম ভাবি নাপাই ৰাতিটোৰ কাৰণে চিঠিখন গাৰুৰ তলত থলোঁ। দেউতাইতে সোধাত স্বামী ভালে থকা বুলি কলোঁ। ৰাতি ভাল টোপনি নহ'ল। নানা প্ৰকাৰ কু-স্বপ্নই মনটো আৰু অধিক চিন্তামগ্ন কৰি তুলিলে। দুখতে দুখ দিবলৈ হবলা—সোঁহাত আৰু সোঁ চকু সঘনে নাচিবলৈ ধৰিলে।

ৰাতি পুৱাল। দেউতা বটৰ ফালৰপৰা বেগাই আহি ক'লে—হাকিম বাপাৰ বোলে কিবা দুৰ্ঘটনা ঘটিছে—শিলঙত। এতিয়া শয্যাশায়ী। —কেনেকৈ কি হৈছে—বুলি সোধাত তেওঁ উত্তৰ নিদি হুমুনিয়াহ কাঢ়িলে। আয়ে দেউতাৰ পৰা সকলো শুনি কান্দিবলৈ ধৰিলে। আইক সোধাত তেওঁ কলে—নালাগে তই শুনিব; শুনিলে অধিক দুখ পাবি। কোনোবাই মাতি নি বিশ্বাসঘাটকতা কৰি আঘাত কৰিছে।-

মই শেতেলিত পৰি কান্দিবলৈ ধৰিলোঁ। শিলঙলৈ যাবলৈ মটৰ ঠিক কৰিবলৈ দেউতাই ড্ৰাইভাৰক ক'লে। কেনেকৈ গৈ শিলং পালোঁ, মোৰ মনত নাই। গধূলি সময়ত স্বামীদেৱে থকা ঘৰৰ কাষত মটৰ ৰ'লগৈ। আমি পোনে পোনেই তেখেতৰ শেতেলিৰ ওচৰলৈ গলোঁ। গৈয়েই মই যি দেখিলোঁ সি বৰ্ণনাৰ অতীত। তেও শেতেলিত পৰি আছে। ওচৰত দুজন ডাক্তৰ। মূৰ আৰু গাৰ কেইঠাইতো 'বেন্দেজ'। মই গৈয়েই ভৰিত ধৰি কান্দিবলৈ ধৰিলোঁ। স্বামীয়ে মোৰ ফালে সকৰুণভাৱে চালে! মোৰ হাতখন নি তেওঁৰ বুকুৰ ওপৰত ললে মোৰ কান্দোন আৰু বাঢ়িল।

ডাক্তৰ আৰু অন্যান্য লোকে মোক কান্দনলৈ হাক দি নানা-প্ৰকাৰে আশ্বাস আৰু সান্ত্বনা দিবলৈ ধৰিলে। স্বামীদেৱৰ গালৰ ওপৰেদি দুধাৰি চকুলো বৈ গ'ল। তেও এটা হুমুনিয়াহ কাঢ়িলে। মুখেৰে একো ফুটাই কব নোৱাৰিলে। হুমুনিয়াহৰ লগে লগেই তেওঁৰ প্ৰাণবায়ু বাহিৰ হল। ডাক্তৰে তত্তালিকে পৰীক্ষা কৰি চই কলে 'শেষ'!

গুৱাহাটী,

১৯২

প্ৰতিকাৰ

ৰবাৰ্ট হস্পিটেল, শ্বিলং। ধনী মৌজাদাৰৰ বৰপুত্ৰ বিশ্বজিত বৰুৱাই পেটৰ বেমাৰত ভুগি নানা ওজা-বেজ, ডাক্তৰ কবিৰাজৰ হতুৱাই চিকিৎসা কৰাই আৰোগ্য লভিব নোৱাৰি অৱশেষত ৰবাৰ্ট হস্পিটেলত আশ্ৰয় লৈছে। চিকিৎসকসকলৰ প্ৰতিভাৰ গুণতে পেটৰ অস্ত্ৰোপচাৰ ভালে ভালে হৈ গ'ল। তেওঁলোকে পেট ফালি নাড়িৰ ঘা চিকিৎসা কৰি পুনঃ সুন্দৰকৈ চিলাই থলে। এতিয়া ৰোগীৰ চিঞৰ-বাখৰ নাই; ছাটি ফুটি নকৰে। বিষ কমিছে। আজি অলপ পিছতেই আহি ডাক্তৰে কাপোৰৰ পট্টি খহাই দি পুনঃ নতুন পট্টি দিলে। বিশ্বজিতে দুদিন আগতে নিজেই নিজৰ চিলাই দেখি ভাবিছিল—হায়! পেটত বৰালি মাছৰ দৰে চিলাইৰ চিন চিৰকাললৈ ৰৈ গ'ল!! নিৰপৰাধ লখিন্দৰৰ অস্থি গিলি থৈ সতী বেউলাৰ হাত সাৰিব নোৱাৰি বৰালি মাছৰ এই দশা হৈছিল। কিন্তু মই? মইনো কেতিয়া কাৰ কি অপৰাধ কৰিছিলোঁ? ভগৱানৰ শান্তিময় ৰাজ্যত আঘাত নহলে ক'তো প্ৰতিঘাত নহয়। পৃথিৱীৰ নিয়ম পানী। তাতে শিলগুটি এটা পেলাই দিলেহে ঢৌ উঠে....।

এইদৰে ভাবি থাকোঁতে বেমাৰৰ দুৰ্বোধ্য সাঁথৰৰ দৰে অতীতৰ কাহিনীবোৰে সপোনৰ বিভীষিকাৰ অৱতাৰণা কৰে! চিন্তাত সি ব্যাকুল হৈ পৰে। কিন্তু এবাৰ অজান আশঙ্কাত তাৰ হিয়াখন চিৰিং কৰি উঠে। আকৌ খন্তেক পিছতে ভাবিবলৈ ধৰে এই পৰিচাৰিকা ধাইবোৰ! ৰোগীৰ পৰিচৰ্য্যাই সিহঁতৰ কৰ্তব্য! উহঁতৰ সুখ-সম্ভোগ সোপাকে পৰিহাৰ কৰি ৰোগীৰ ভাল হোৱা নতেই সিহঁতে সুখ পায়। কি দুঃখময় জীৱন! কিবা মুবুজা মোহৰ বন্ধনত নে সাংসাৰিক ঘটনাৰ কদৰ্য্যতাৰ বিভৃম্বাত! ঐহিক সুখৰ কামনাত নে পৰোপকাৰৰ মহত্ত্ব বাসনাত? এনেবোৰ অসাৰ চিন্তাত সি অস্থিৰ হৈ পৰে।

তাৰ একলশৰীয়া আটোম টোকাৰি কেবিনটো। ওচৰতে এখন সৰু

মেজ, তাৰে ওচৰত চিমনি-আতচখানা। বৰফে ঠাণ্ডা পৰিলে চিমনি জ্বলাই কোঠালিটো আৰামজনকভাৱে উম্‌ ৰখা হয়। সেইবৰো বেছ সুবিধা আছে। অৰ্দ্ধস্বমতে বিজুলী-বাতিৰ 'চুইচ' টিপি দিলে চাকি জ্বলি উঠে। খিৰিকীবোৰক খিৰিকী বুলিব নোৱাৰিয়েই, ইচ্ছামতে আঁতৰাই থব পৰা একোখন বেৰ। এনে বিষাৰ আয়নাৰ নিৰ্ম্মিত যে জপাই থলেও মেলা জপোৱাৰ ইয়ত্তা কৰিব নোৱাৰি। ডুপৰীয়া মূৰ্কালি খিৰিকীৰ সৰুদ্ধাৰে সুদূৰৰ সেউজীয়া সৰল গছবোৰত চকু ৰাখি সি ভাবি থাকে। চকুৰ আগতে সি দেখিবলৈ পায়—স্বৰ্ণালী জীৱনৰ বিনন্দিয়া দিনবোৰ আৰু যৌৱনৰ দুৱাৰ-দলিৰ সোণালী সপোন-কাহিনী বিলাক! সৰল গছবোৰত খুন্দিয়াই বতাহে এটা অবিৰাম সোঁ সোঁ ধ্বনি শব্দ তোলে। সেই সুৰৰ লগত সুৰ মিলাই বিৰ্শজিতৰো স্মৃতি-কাহিনীবোৰে অবিৰত ঢৌ খেলিবলৈ ধৰে। এই ছোৱালী-বোৰ! গাভৰু ছোৱালীবোৰ! সিহঁত ইমান লাজকুৰীয়া কিয়? আচহুৱা মানুহৰ কথাই নালাগে, পৰিচিত যুৱক এজনক দেখিলেও দূৰলৈ গৈ লুকাব খোজে, যেন সিহঁতৰ অষ্টনিধিৰ ভঁৰালৰ সঁচাৰ-কাঠীডাল হাতৰপৰা কোনো-বাই জোৰেৰে কাঢ়ি লৈ যাব! নিজে দিস্ত অনে দেখাকৈ সুৰুকৰ বেহ-ৰূপ চাবলৈ, চাল-চলন লক্ষ্য কৰিবলৈ—কথাবাৰ্ত্তা শুনিবলৈ ইমান লালায়িত কিয়? কিমান ছোৱালীকেই দেখিছো—প্ৰাণৰ কথা খুলি কবলৈ সিহঁতৰ শক্তি নাই। অপ্ৰকাশিত আৱেগৰ তীব্ৰ বেদনাই—প্ৰকাশ বিচাৰি বুকু ফুলাই তোলে, প্ৰাণত আগ্নেয় পৰ্ব্বতৰ সৃষ্টি কৰে, তথাপি মুখেৰে কথা নুফুটে—বিধাতাৰ কি অপূৰ্ব্ব সৃষ্টি! কি ডুৰ্বোধ্য ৰহস্য! সৃষ্টিৰ আদিৰে পৰা বোধকৰোঁ প্ৰেমৰ পবিত্ৰ পূজাত নাৰীয়ে প্ৰথমে অৰ্ঘ্য দিব পৰা নাই। বিধাতাই হয়াৰ গৌৰৱ নিষ্ঠুৰভাৱে পুৰুষৰ একচেতীয়া সম্পত্তি কৰি থৈছে। পুৰুষৰ পৰশ নোপোৱালৈকে নাৰীৰ পুঞ্জীভূত কামনা হিয়াত উপজি হিয়াতে মাৰ যায়। ই জগতৰ এটি নিয়ম সত্য। নাৰী জাতিটো সেই বাবেই বৰ ডুৰ্ব্বোধ্য। নিজক একোখন ৰহস্যৰ ঢাকনিৰে ঢাকি ৰাখি নাৰীয়ে বাৰু কি আমোদ পায়? তাৰু এই অসমীয়া ধাই জনীয়েই! তাইতো এদিনো তাইৰ প্ৰকৃত পৰিচয় নিদিলে। ঘৰ ক'ত, পিতা মাতা কোন, কি কাৰণতেই বা এনে এটা উৎসৰ্গিত জীৱন যাপন কৰিবলৈ পালে—ইত্যাদি কথা কিমান দিন সুধিলো! তাই মুখৰ সেই চিৰ-লগৰীয়া হাঁহিটোৰে কয়—

আপুনি সেইবোৰ নজনাহে ভাল ; কাৰণ আপুনিও পুৰুষ। —তাইৰ এই আষাৰ কথা বিৰাট সাঁথৰৰ দৰে লাগিছে। আপুনিও পুৰুষ! তাৰ মনে পুৰুষে তাইৰ ওপৰত কিবা ঘোৰ অন্যায় কৰিছে .....। কিন্তু ক'তা? সেয়ে হোৱা হলেতো তাইৰ ব্যৱহাৰত তাৰ পৰিচয় ফুটি উঠিলহেঁতেন!......

অবুজ আশংকাত তাৰ অন্তৰ কঁপি উঠে। ৰ' লাগি একেথৰে বাহিৰলৈ চাই সি ভাবি থাকে: সংসাৰখন কি বিচিত্ৰ! এনে অনেক লোক আছে যি নিজৰ ক্ষুদ্ৰ জীৱনৰ গৌৰৱ ঘোষণা কৰিয়ে ভূমিকম্প আনিব খোজে ; কিন্তু এই ধাইজনীৰ উৎসৰ্গিত জীৱনৰ ইতিহাস কি ৰহস্যময়!

চিন্তাকুলভাৱে এইদৰে বহি থাকোঁতে হঠাৎ অসমীয়া ধাইজনী হঁহি হঁহি সোমাই আহে। তাইৰ পাছে পাছে তাইক খেদি এজনী খাচীয়া ধাই আহি তাইৰ লগত কিবা এখন কাকতৰ কাৰণে কঢ়া-আঁজোৰা কৰে। তাই অস্থিৰ হৈ উঠে—কাৰো অপকাৰ নকৰোঁ বুলিয়েই ইমান দিনে সাঁচি ৰাখিছোঁ—এতিয়া আৰু কিয় দিম? দিয়া হলে আগতেই দিলোঁহেঁতেন। নিজে পুৰি মৰিলেও আনক মাৰিবলৈ ইচ্ছা কৰা নাই বাবেই এই অৱস্থা—। কথাষাৰৰ লগে লগেই তাই ঢাপ কৰে কোঠালিৰ পৰা ওলাই গ'ল। খাচীয়া ধাইজনীও পাছে পাছে খেদি গ'ল।

বিশ্বজিতৰ সপোন ভাগিল। ধাইৰ আগত সি পুনঃ বাস্তৱ ৰাজ্যলৈ আহিল। ধাইহঁতৰ যুঁজৰ কাৰণ সি একো বুজি নাপালে। যুঁজ কৰোঁতে কোঠালিত পিচলি পৰি যোৱা অকণমান কাকত এটুকুৰি তাৰ চকুত পৰিল। ৰহস্যৰ জানোচা কিবা সন্দেহ গোৱাযে যায়—এই ভাবি সি কোনেও নেদেখাকৈ লাহেকৈ গৈ আতো-পুতোকৈ কাকতখন তুলি আনি গাৰুৰ কাষত লৈ পঢ়িবলৈ ধৰিলে। বোধকৰো কাকত কেইখানে আছিল। বোধ হয় বেলেগ বেলেগ চিঠি। তাৰে এখন মাথো বিশ্বৰ হাতত পৰিল। পঢ়াৰ লগে লগে তাৰ অন্তৰত যেন কিবা এটা অচিন বেদনাৰ প্ৰৱেশ কৰি সমস্ত শৰীৰকে অৱশ কৰি তুলিলে। সি আকৌ পঢ়িবলৈ লাগিল—

মৰমৰ ভনটি,

বোধহয় তুমি মোক চিনি নোপোৱা ; কিয়নো মই দীনা, হীনা আৰু বঞ্চিতা। চিনি নাপালেও বোধহয় মোৰ জীৱনৰ বিষয়ে অহ-কাণে পহ-

কাণে কিছু শুনিছা। অৱশ্যে সেইবিলাক কৈ সময় কটোৱাৰ প্ৰয়োজন নাই। মুঠতে, মই বৰ্জ্জিতা, স্বামী-স্নেহৰ পৰা চিৰ-বঞ্চিতা। তুমি হয়তো মোৰ দুখ, মোৰ বেদনা আৰু হৃদয়ৰ জ্বালা যন্ত্ৰণাৰ বিষয়ে ভাবিব নোৱাৰা, মোৰ দুখ কি তাক তুমি অনুভৱ কৰিব নোৱাৰা, কিয়নো তুমি ভুক্তভোগী নোহোৱা। তুমি আদ্যোপান্ত জনা হলে আৰু তোমাৰ হিয়া থকা হ'লে, তোমাৰ দয়া-মায়া থকা হলে এই অভাগিনীয়ে আজি এই পাপৰ দুৰ্ব্বহ জীৱন লৈ আপচুভাৱে কাল কটাব নালাগিলহেঁতেন। তাৰ বাবে দায়ী কোন? অপৰাধ কাৰ? কোনে বিচাৰ কৰিব? ইমান দিনে ইচ্ছা থকা সত্ত্বেও তোমালৈ এখো লিখ নাছিলোঁ; তাৰ কাৰণ তেতিয়া আছিলা তুমি মুকলিমূৰীয়া পখিলী-নতাৰী! সংসাৰৰ দুখ-যন্ত্ৰণা কি তোমাৰ আলসুৱা প্ৰাণে বুজিব নোৱাৰিছিল। সন্তানৰ স্নেহ কি, তাক তুমি বুজিব নোৱাৰি ছিলা। ঈশ্বৰৰ ইচ্ছাত তুমি আজি সুসন্তানৰ জননী। সন্তানৰ প্ৰতি স্নেহ কি বস্তু তাক তুমি আজি বুজিব পাৰিছা! মোৰ আই বৃদ্ধা; মহাযাত্ৰাৰ অগ্ৰণী পথিক। মৃত্যুৰ দুৱাৰ-দলিত ভৰি দিছে—অন্তৰত কন্যা-স্নেহৰ এটি হিয়া-ভগা বিননি লৈ। এদিন তুমিও তোমাৰ কন্যাৰ কাৰণে হয়তো এনে এটি সকৰুণ বিননি লৈ জীৱন যাত্ৰা কৰিব লাগিব, কিয়নো প্ৰকৃতিৰ ৰাজ্যত দানৰ প্ৰতিদান আছে; উত্তৰৰ প্ৰত্যুত্তৰ আছে; বিম্বৰ প্ৰতিবিম্ব আছে: ক্ৰিয়াৰ প্ৰতিক্ৰিয়া আছে; অপকাৰৰ প্ৰতিশোধ আছে। স্বীকাৰ কৰোঁ মই দোষী, মই মহাপাপিনী। কিন্তু কোন ধৰ্ম্মৰ আশ্ৰয় লৈ তেখেতে মোৰ বিধবা মাতৃৰ ঘৰত সোমাই বিধবাৰ একেটি সন্তানক এনেভাৱে সমাজৰ চকুত কলুষিত কৰিলে? মোৰ সোণৰ সংসাৰ চুৰমাৰ কৰি মোৰ বুকুৰ ধন (জীৱনক) মোৰ মনৰপৰা, মোৰ এই দুই বাহুৰপৰা উভতাই নিলে? বিধিয়ে তাৰ কি প্ৰতিকাৰ নকৰিব জনীটি? মই তেখেতক কৈছিলোঁ— জনীটি, ভুলে-শুদ্ধই, বেয়াই-ভালে, দুখে সুখেই মানৱ জীৱন। মই অবলা নাৰী, মোৰ ভুল হ'ল। তেখেত অভিজাত, উচ্চশিক্ষিত, সদ্-বংশজাত যুৱক হৈ মোক ছলাহী কথাৰে সমাজৰ এনে ঘৃণাৰ পাত্ৰ কৰিলে কিয়? তেখেতে বাৰু এনে ভুল কৰিলে কিয়? ই জানো তেখেতৰ অন্তৰ্নিহিত পুৰুষত্বৰ অৱমাননা নহয়? ক'ত আজি তেখেতৰ সেই স্নেহৰ নীলিমা, ক'ত সেই মা-ধন। কিয় আজি নিলীমা সমাজৰ চকুত পতিতা? কিয়

আজি মা-হ'ন জাৰজৰ জননী ? মা-হ'ন সঁচাকৈয়ে জাৰজৰ জননী নে ? নে তাই এজনী সমাজ-ভীৰু কাপুৰুষৰ, তথাকথিত আধুনিক শিক্ষিত উচ্চ পদবীপ্ৰাপ্ত ভদ্ৰলোকৰ পত্নী ভদ্ৰ-মহিলা ? তাইক জানো তেৱেঁই এদিন, সমাজৰ অজ্ঞাতে হলেও, সেই মৰ্য্যাদা, সেই গৌৰৱ, সেই আনন্দ দান কৰা নাছিল ? কোনে আজি সমাজক বাধা দি আচল সত্যটো প্ৰকাশ কৰি কবহি—তাই ঘৃণনীয়া নহয়—জাৰজৰ জননী নহয়। হওক, ঈশ্বৰ যদি আছে তেন্তে তেওঁ সকলো দেখি আছে।

ভনীটি, মোৰ ইচ্ছা নহয় যে মোৰ দুৰ্ব্বহ জীৱনৰ বেদনাপূৰ্ণ কিছুমান কথাৰে তোমাৰ কাণত বিহ ঢালি তোমালোকৰ সুখৰ সংসাৰত বাদ-প্ৰতিবাদ, সন্দেহ বিক্ষোভৰ সৃষ্টি কৰিম। কিন্তু বহুত দুখত তোমালৈ কিছু লিখি অন্তৰত শান্তি পাম বুলিয়েই লিখিলোঁ। তুমি তেখেতক ভালভাৱে সুধিবা, পাৰিলে মোৰ হৈ অনুনয়ে সুধিবা, গুৱাহাটীত নীলিমা বুলি তেখেতৰ স্নেহৰ অধিকাৰিণী কোনোবা আছিল নেকি ? —আৰু কব, তাই আজি জীৱনৰ যথাসৰ্ব্বস্ব হেৰুৱাই নিজৰ বাবে নিজকে দায়ী বুলি ধৰি—তেখেতৰ পত্নী-সন্তানক সেৱা-শুশ্ৰূষা কৰি কলুষিত জীৱনৰ বাকীছোৱা কাল কটাবলৈ অভিলাষ কৰে ! যদি তেখেতৰ দয়া হয়, ভনীটী, মই চিৰকাল তোমাৰ চিৰদাসী হৈ অকুণ্ঠিত চিত্তে তোমাৰ পদ-সেৱা কৰি জীৱন যাপন কৰিবলৈ অভিলাষ কৰোঁ। তোমালোকৰ গৃহস্থালীৰ পৰিচাৰিকাবোৰৰ ভিতৰত মোকো এজনীকৈ গ্ৰহণ কৰি মোৰ জীৱন ৰক্ষা কৰাত তোমাৰ জানো কিবা আপত্তি হব ? তাতকৈ মই অধিক একো নিবিচাৰোঁ, পাবৰো যোগ্যা নহওঁ বুলি জানো। এইখেৰা সুখৰপৰা যেন মই বঞ্চিত নহওঁ তাৰ বাবে তুমি যত্ন কৰিবা বুলি আশা কৰিছোঁ, কিয়নো তুমিও নাৰী ; নাৰী-অন্তৰৰ সকলোখিনি অনুভূতিৰে নাৰী। স্বীকাৰ কৰোঁ, এশবাৰ মানি লওঁ তুমি নাৰী হলেও তোমাৰ আৰু মোৰ ভিতৰত ব্যৱধান বিৰাট ; তুমি পদুম, মই পলাশ. তুমি নন্দনৰ পাৰিজাত, মই হাবিত গজা গন্ধহীন বনফুল ; তুমি সৰগৰ অপ্সৰা মই মৰতৰ কিৰাতকন্যা। মই সইতে সইত, তিনি সইত থাই কৈছোঁ— তোমাৰ মই পৰিচাৰিকা হব পাৰিলে এনে কঠোৰ জীৱন-যাপন কৰিম যি ভিক্ষুণীসকলৰো ঈৰ্ষাৰ বস্তু হব। মই স্বীকাৰ কৰিবলৈ কুণ্ঠিত নহওঁ যে

মই মহাপাপিনী, কিবা পাপৰ ফলত হাতৰ বস্তু হাততে হেৰুৱালোঁ। তাৰ বাবে কিন্তু আন কাকো দোষী কৰিব নোখোজোঁ। এইটো কিন্তু ধ্ৰুৱ যে তোমাৰ অনুগ্ৰহত মোৰ আশ্ৰয় লাভ হলে—ত্যাগৰ মাজেদি ভৱিষ্যৎ জীৱনত এনে সাধনা কৰিম যে তাৰ বলত সিজন্মত তেখেতক মোৰ বাহিৰে অন্যে মোৰ বুকুৰ মাজৰপৰা কাতৰাই নিব নোৱাৰিব। তুমি নিশ্চয় পৰজন্মৰ বাঞ্ছাখিনি দেখি ঈৰ্ষা নকৰিবা। মানুহে পৰজন্ম বিশ্বাস কৰে, হয় মনৰ দুৰ্ব্বলতাৰ হেতুত, নহয় সাংসাৰিক জ্বালা-যন্ত্ৰণাত জৰ্জ্জৰিত হৈ। বৰ্ত্তমান সময়ত হয়তো মই দুয়োটাৰে অধীনত আছোঁ। ভগৱানৰ ৰাজ্যত আন্তৰিকতাৰে কৰা কাম কোনোটো অথলে নাযায়; এনে বিশ্বাসতে আশাৰ সাঁকোৰেদি বুলি গৈ বৈতৰণী পাৰ হব খুজিছোঁ। তুমি মোক ক্ষমা কৰিবা, অন্তৰৰ বেদনাৰ তাড়নাত বহুত কথাই লিখিলোঁ। মাফ কৰিবা ভনীটি! অন্তৰৰ উথলি উঠা ভাব চকুৰেদি কিছু আৰু কলমেদি কিছু ওলাইছে। ভাষাৰ দোষ তুমি নধৰিবা বুলি আশা কৰিছোঁ। আজিলৈ বিদায়, ভনীটি!"

পঢ়া শেষ হোৱাৰ লগে লগে কেতিয়া চিঠিখন বিছনাৰ ওপৰত পৰিল—বিশ্বই গমেই নাপালে! সি চকুৰে ধোঁৱা-কোঁৱা দেখিবলৈ ধৰিলে। শুই থকা বিছনাখনৰ অস্তিত্বও পাহৰি গ'ল। খন্তেকৰ কাৰণে শূন্যত ভাহি থকা যেন অনুমান হোৱাত চকুৰ আগতে বাস্তৱতকৈও স্পষ্ট হৈ অতীতৰ সোঁৱৰণীবোৰ উৰি ফুৰিবলৈ ধৰিলে! সপোন, নে মায়া, নে মতিভ্ৰম! ক'ত সেই ৰূপহী—ক'তেই বা তাইৰ জাৰজ সন্তান মদন? গাঁৱৰ সমাজ বহিল; বিচাৰ হ'ল—সন্তানৰ পিতৃ কোন? গাঁৱৰ দুখীয়া বিধবা ৰূপহী; পুষ্প-বিয়াৰ ছমাহ পিছতেই ৰূপহী যুলনাৰী হৈছে। স্বামীৰ পৱিত্ৰ স্মৃতি বুকুত বান্ধি যৌৱনৰ সকলো সুখ-সম্ভোগৰ মূৰত জলাঞ্জলি দি পৱিত্ৰভাৱে দুবছৰ কটাইছে। বৈধব্যৰ কি কঠিন বিধান! বিধাতাই যেন তাইক জন্ম দিছিল—মানৱ-জীৱনৰ কলুষতাময় দুৰ্ব্বহ কষ্ট বহন কৰিবলৈহে। সমাজৰ বন্ধনৰ ওপৰত হেঁচা দি তাইৰ দুখৰ বোজা দুগুণ কৰিবৰ কাৰণে যৌৱনৰ দেৱতাই আকৌ মাজে-সময়ে আকুল চঞ্চলতাৰ সৃষ্টি কৰে। এফালে হিন্দু সমাজৰ কঠোৰ বিধান, আনফালে অনাহুত যৌৱনৰ গীতিপূৰ্ণ আহ্বান। ৰূপহীয়ে এই দোমোজাৰ মাজত অস্থিৰ অন্তৰ লৈ ভালেমান দিন কটালে। কিন্তু মানৱ প্ৰকৃতিক

সমাজৰ নিষেধ-বিধানে সহজে বান্ধি ৰাখিব নোৱাৰে। অন্তৰৰ সুপ্ত বাসনা-বোৰে সুযোগ সুবিধা পালেই চৰিতাৰ্থতা লাভৰ কাৰণে নিজৰ প্ৰাপ্য দাবী উত্থাপন কৰে। আজলী ৰূপহীৰ জীৱনতো সেয়ে ঘটিছিল। সম্ভ্ৰান্ত মৌজা-দাৰৰ ল'ৰা বিশ্বজিতৰ প্ৰলোভনত ৰূপহীয়ে নিজৰ অৱস্থা পাহৰি গৈছিল। ইমান দিনে সমাজৰ নিষ্পেষণত মৰহি থকা প্ৰাণৰ কোমল বাসনাবোৰ বিশ্বৰ সান্নিধ্যত পুনঃ সজাগ হৈ উঠিছিল। বিশ্বৰ প্ৰতিজ্ঞা আছিল ৰূপহীক বিয়া কৰাব। ৰূপহী যেতিয়া অন্তঃসত্ত্বা সেই সময়ত মৌজাদাৰ ডাঙ-ৰীয়াই পুত্ৰেকৰ মতি-গতিৰ কথা গম পাই চহৰৰ এজনী শিক্ষিতা ছোৱালীৰ লগত লৰালৰিকৈ বিয়া পাতিলে। বিশ্বজিতেও মাক-বাপেকৰ গালি-গালাজ আৰু সমাজৰ গৰিহণাৰ ভয়ত নিজৰ মতামত একো নিদি সকলো কাম নীৰৱে কৰি গ'ল

বিয়া সুকলমে হৈ গ'ল; কিন্তু বিয়াৰ দিনত উৎসৱৰ কোলাহল, ঢুলীয়া-কালিয়াৰ বাজনাৰ বোল আৰু ওচৰ-চুবুৰীয়াৰ আনন্দৰ কিৰীলিয়ে ৰূপহীৰ অন্তৰত যেন মৃত্যু বেদনাহে অৱতাৰণা কৰিলে। সংসাৰ তাইৰ কাৰণে তেনেই অসাৰ আৰু ছলাহী যেন লাগিল। তথাপি সেই সকলোবোৰ তাই নীৰৱে সহি থাকিল।

দিন দিয়েকৰ পিছৰ কথা। এদিন বিশ্বজিত গৈ সন্ধিয়াৰ এন্ধাৰৰ ছেগ লৈ ৰূপহীক লগ ধৰি কলে যে পিতৃ-আজ্ঞা লঙ্ঘন কৰিব নোৱাৰিহে তেওঁ বিয়াত মত দিলে। যি হওক—সন্তানৰ পিতৃত্বৰ সম্ভেদ দি সমাজত তেওঁক হেয় নকৰিবলৈ অনুনয় বিনয় কৰি ৰূপহীক মনে মনে খৰচ দি থাকিবলৈ তেওঁ গাত ললে। তাকে নকৰিলে টকা পইচা আৰু অন্যান্য গোপন সাহায্য পোৱা দূৰৰ কথা, মৌজাদাৰে তাইক পুলিচতো দিব পাৰে বুলি লগতে ভয়ো খুৱালে। ৰূপহীৰ চকুৰেদি অতৰ্কিতে দুধাৰি চকুলো বৈ গ'ল। পুৰুষৰ নিদাৰুণ বিশ্বাস-ঘাতকতা আৰু কাপুৰুষালি দেখি তাইৰ অন্তৰ ঘৃণা আৰু অনুশোচনাৰে ভৰি পৰিল। হুমুনিয়াহ কাঢ়ি তাই কৈ উঠিল—হায় ভগৱান! বিশ্বৰ গঞ্জনা নিঃস্ব হৈ নীৰৱে সহ্য কৰিবলৈয়ে নাৰীৰ সৃষ্টি নেকি প্ৰভু? পুৰুষৰ অন্তৰ যদি ইমান কঠোৰ, পুৰুষৰ কথা যদি ইমান ছলাহী, তেন্তে নাৰীক তেওঁৰ সঙ্গিনী কৰি সৃজিলা কিয় প্ৰভু? নাৰী জানো তেনে?.. খন্তেক দুয়ো নীৰৱে থাকিল।

যথাসময়ত ৰূপহীৰ বিচাৰ হ'ল। মৌজাদাৰ ডাঙৰীয়া হ'ল বিচাৰক। ৰূপহীয়ে জাৰজ সন্তানৰ পিতৃৰ নাম কবলৈ ন'বাজ হ'ল। সমাজে তাইক এৰি থলে। [illegible] এঘৰীয়া হৈ জুই পানীৰ আলগ হৈ থাকিল।

দিন যাবলৈ ধৰিলে। সুদীৰ্ঘ এবছৰৰ মূৰত বিশ্বজিতৰ ঘৰত এজনী জন্মান্ধ কন্যা উপজিল। বিবাহিতা পত্নী অন্তসত্বা হ'বৰেপৰা বিশ্বজিতৰ প্ৰাণত আনন্দ আৰু আশঙ্কাৰ প্ৰতিক্ৰিয়া চলি আছিল। যেতিয়াই সি শুনিবলৈ পালে যে সি জন্মান্ধ কন্যা এজনীৰ পিতৃত্বৰ গৌৰৱ লাভ কৰিছে, তেতিয়াই তাৰ অন্তৰ বিষাদৰ কালিমাই ছাটি পেলালে। ভাবি-চিন্তি খন্তেকৰ কাৰণে সি বিব্ৰত হ'ল। মনত স্থিৰ হ'ল তাৰ স্বোপাৰ্জ্জিত পাপৰেই ই উচিত প্ৰায়শ্চিত্ত! নিজৰেই কৰ্ম্মফল। এনে ভাব মনলৈ আহিবৰে পৰা তাৰ শয়নে সপোনে শান্তি নোহোৱা হ'ল। লাহে লাহে সি শুকাই খীণাই যাবলৈ ধৰিলে। যৌবনৰ উন্মাদ উত্তেজনাৰ বশৱৰ্ত্তী হৈ ৰূপহীৰ প্ৰতি যি অন্যায়-অবিচাৰ কৰিছিল জীৱনৰ প্ৰতিটো কথাতেই যেন সি তাৰ প্ৰতিফল পাবলৈ ধৰিলে। নেদেখা জুই একুৱাই তাৰ অন্তৰ অহৰহ ডেই-পুৰি নিবলৈ ধৰিলে। লাহে লাহে তাৰ বেমাৰ হ'ল, মৌজাদাৰে চিকিৎসাৰ কাৰণে তাক শ্বিলঙলৈ পঠালে। . ..

অতীতৰ এই আটাইবোৰ কথা ভাবি থাকোঁতে অসমীয়া ধাইজনীয়ে কেতিয়া আহি তাৰ আগৰপৰা চিঠিখন লৈ গ'ল সি তাৰ উমানেই নাপালে। তাৰ পিছত ডাক্তৰ আহি তাৰ পেটৰ পটিবোৰ খুলি দি পৰীক্ষা কৰি চাই সম্পূৰ্ণ আৰাম হোৱা বুলি ঘোষণা কৰিলে আৰু এদিনৰ কাৰণে জিৰণি লৈ ঘৰলৈ যাবলৈ উপদেশ দি গুচি গ'ল।

এঘণ্টা গ'ল। অসমীয়া ধাইজনীয়ে বিশ্বজিতক আবেলিৰ জলপান দিলেহি। সি ধাইজনীৰ ফালে চাই কলে—নীলিমা, ক্ষমা কৰিবা—তোমাক নীলিমা বুলি মতাৰ কাৰণে; মোৰ বিশ্বাস, সেইটোৱেই তোমাৰ নাম; নহয়নে?

—নহয়, সেইটো মোৰ নাম আগতেহে আছিল, কিন্তু আজিকালি নহয়। আজিকালি মই 'পৰ্চিয়া' বুলিয়ে পৰিচিত, কিয়নো চিষ্টাৰসকলে মোৰ নাম পৰ্চিয়া দিছে। ভাল, অধিক নকওঁ। আপুনি পোৱা চিঠিখন বহুদিন আগেয়ে লিখা। তাৰ পিছত বহুত পৰিবৰ্ত্তন ঘটিল। আই ঢুকাল। প্ৰাণৰ পুতলিও মোক এৰি গ'ল। ফলত মই এইখিনি পাওঁহি। এতিয়া

বেমাৰীক শুশ্ৰূষা কৰাই আমাৰ কৰ্ত্তব্য, আমাৰ ধৰ্ম। আমাৰ প্ৰায় সকলোৰে একোটি কাহিনী আছে—প্ৰত্যেকটো বিষাদ আৰু বেদনাত সিক্ত। কিন্তু আমাৰ আত্ম-জীৱনৰ পৰিচয় কৈ বেমাৰীৰ লগত হলি-গলি কৰা আমাৰ কাৰণে বিধি-নিষিদ্ধ। গতিকে মোৰ অনুৰোধ যেন মোৰ কলঙ্কিত জীৱনৰ কথা আপুনি কাৰো আগত নকয়! নকব এইবাবে যে তাক কলে বা বৰ্ণনা কৰিলে কাৰো একো লাভ নহব। আপুনি জানে নে যে মোৰ এনে এদিন আছিল যিদিনা মই সকলোৰে অস্পৃশ্যা আৰু অনাদৃত আছিলোঁ। খ্ৰীষ্টান পাদ্ৰীসকলৰ অনুগ্ৰহতহে আজি ৰুগীয়াৰ পৰিচৰ্য্যাৰ এই সুযোগ পাইছোঁ। সেইবুলি আজিও খ্ৰীষ্টান হোৱা নাই, নহওঁ সজাইছো প্ৰয়োজনৰ খাতিৰত। হিন্দু ধৰ্ম্মত মোৰ ঠাই নাই যদিও মই হিন্দু-বিধবাৰূপে মৰিবলৈ পালেই সুখ পাম। মোৰ এই সাধনাৰ ফলত যদি জগতৰ কোনো এজন লোকৰো এবেৰা উপকাৰ হয় তেন্তে সেয়ে মোৰ জীৱনৰ চৰম পুণ্য পদাৰ্থ হব।

ধাইজনীয়ে আৰু কথা কব নোৱাৰিলে। তাইৰ চকুৰপৰা সৰসৰকৈ চকুলো ওলাই দুগালেদি বাগৰি গ'ল। আনে দেখাৰ ভয়ত তাই কোঠালিৰ পৰা সোঁউংকৰে ওলাই গ'ল। তাইৰ কাহিনীটো বিশ্বজিতৰ মনত তাৰ নিজৰ জীৱনৰেই এটা প্ৰতিবিম্ব বা প্ৰতিকাহিনী যেন অনুমান হ'ল। চিন্তাত তাৰ গোটেই নিশা ভাল টোপনি নাহিল। নানা অবাস্তৱ স্বপ্নই মনত তাৰ বিৰাট বিভীষিকা আৰু ভীষণ অৱসাদৰ সৃষ্টি কৰিলে।

ৰাতি পুৱাল। ৮।৯ বজাত বিশ্বক নিবৰ কাৰণে মটৰ আহিব। সি বিচনাৰ পৰা উঠি হাত-মুখ ধুই ধাইজনীৰ জীৱনৰ কথা পুনঃ ভাবিবলৈ ধৰিলে। যোৱাৰ আগতে সি ধাইজনীৰপৰা আৰু একাষাৰ শপত ঠিক কৰি ল'ব। ধাইজনীক সি মাতাই আনি কলে -তুমি মোক বিশ্বাস কৰা, তোমাৰ জীৱন কাহিনীয়ে মোৰ অন্তৰ স্পৰ্শ কৰিছে। তোমাৰ কাৰণে মই কি কৰিব পাৰোঁ নিৰ্দ্দেশ দিয়া। মই মোৰ জীৱনৰ চিনাকি আজি তোমাক নিদিওঁ। মুঠতে ময়ো অন্যান্য দুই একোজনৰ দৰে অধম কাপুৰুষ। ভগৱানে কৰিলে তোমাৰপৰা পোৱা জ্ঞানৰ সহায়ত মই মোৰ পাপৰ প্ৰায়শ্চিত্ত কৰিব পাৰিম। ধাইজনীয়ে কলে—আপোনাক কবলগীয়া মোৰ একো নাই। বাস্তৱিকে যদি আপুনি উপলব্ধি কৰিছে যে নাৰী সঁচাকৈয়ে পুৰুষৰ দ্বাৰা লাঞ্ছিত, বঞ্চিতা আৰু নিপীড়িত, তেন্তে তাৰ প্ৰতিকাৰ কৰিবলৈ

উচিত ক্ষেত্ৰত কেতিয়াও কুণ্ঠিত নহব বুলি মই আশা কৰিলোঁ । সমাজত যদি আপোনাৰ জৰিয়তে অন্ততঃ এজন অপৰাধী পুৰুষেও নিজৰ ভুল শুধৰাই অবলা নাৰীৰ প্ৰতি সদয় হবলৈ শিকে তেন্তে তাকেই মই মোৰ সাধনাৰ সিদ্ধি বুলি ভাবিম। অধিক নকওঁ। আপুনি আজি যাব। পৰিচৰ্য্যাত যদি কেতিয়াবা আমাৰ কাৰোবাৰ কিবা দোষ-ত্ৰুটী হৈছিল—তাক যেন পাহৰি যায়। নমস্তে। বিদায়। —ইয়াকে কৈ ধাইজনী ওলাই গ'ল।

কথাখিনি বিশ্বজিতৰ কাণত আকাশীবাণী যেন লাগিল। কিছুপৰ তললৈ মুৰকৈ বহি থাকি সি কৈ উঠিল -নিজৰ পাপৰ প্ৰায়শ্চিত্ত কৰিমেই কৰিম। ওচৰ-চুবুৰীয়া, বন্ধু বান্ধব, আত্মীয়-স্বজন পিতৃ-মাতৃ আদি সকলোৰে স্নেহবন্ধন ছিন্ন কৰি, নিজৰ আত্ম-গৌৰৱ আৰু সমাজৰ বিধি-নিষেধকে নেওচি বিশ্বৰ অন্তৰে গহীন গম্ভীৰ স্বৰে গৰ্জ্জি কৈ উঠিল—'প্ৰতিকাৰ'! সেয়াই অহা মটৰৰ 'হৰ্ণ'তে যেন প্ৰতিধ্বনি হ'ল প্ৰতিকাৰ! প্ৰতিকাৰ!!

শ্বিলং,

১৯১৩

—×—

ভূমি আৰু জীৱন

অতুল চন্দ্ৰ বৰুৱা এম. এ. ;এ চি. এছ.

প্ৰকাশক

শ্ৰীকৃষ্ণনাথ দাস

ৰত্ন প্ৰকাশ

উজানবজাৰ

গুৱাহাটী

বেটু-পাতৰ চিত্ৰ-শিল্পী

শ্ৰীপ্ৰবোধ সেনগুপ্ত

শ্ৰীৰবীন্দ্ৰ ভট্টাচাৰ্য্য

প্ৰথম প্ৰকাশ : ১৯৫৮, অক্টোবৰ

মূল্য : ৫ টকা

মুদ্ৰক

শ্ৰীৰাধাগোবিন্দ বসাক

শ্ৰীকান্ত প্ৰেছ,

৭৫, বৈঠকখানা ৰোড

কলিকতা—৯

উৎসর্গ

পৰম আৰাধ্য শ্ৰীযুত ভোগৰাম বৰুৱা পিতৃদেৱতাৰ শ্ৰীচৰণযুগলত

নিবেদন

অভিজ্ঞজনৰ উম দি লিখা ভূমি সম্পৰ্কীয় কিতাপ অসমীয়াত নাই। আমাৰ ভাষা, সাহিত্য আৰু সমাজৰ তেনে এটি অভাৱ উপলব্ধি কৰি "ভূমি আৰু জীৱন" ৰচনা কৰা হৈছে। ই লিখকৰ সুদীৰ্ঘ এটি যুগৰ ভূমি সংক্ৰান্ত বিষয়ৰ ক্ষুদ্ৰ অভিজ্ঞতা আৰু অধ্যয়নৰ ফল স্বৰূপ। ইয়াক যুগুত কৰোঁতে কংগ্ৰেছ এগ্ৰেৰিয়ান কমিটিৰ ৰিপোৰ্ট, কামৰূপ জিলাৰ 'ৰি-এছেছ-মেণ্ট গ্ৰুপ ৰিপোৰ্ট', 'হৰিজন' কাকত, 'আসাম লেণ্ড ৰেভিনিউ মেনুৱেল' 'চাইনা-টুডে', '১৯৫০ৰ ভাৰত' আদি কাকত-পত্ৰ আৰু পুস্তকাদিৰ উপৰিও ছাৰ এডোৱাৰ্ড গেইট, বি. এইচ বেডেন পৱেল, ড° ৰাধাকমল মুখাৰ্জ্জী, ড° নীহাৰৰঞ্জন ৰায়, ড° পি. ছাৰান অধ্যাপক এছ. চন্দ্ৰশেখৰ, ডাঃ সূৰ্য্যকুমাৰ ভূঞা, ড° বাণীকান্ত কাকতি, ড° বিৰিঞ্চি কুমাৰ বৰুৱা, ঐতিহাসিক কনকলাল বৰুৱা, পত্নতাত্ত্বিক ৰাজমোহন নাথ, পামি দত্ত, ৱিনোবা ভাৱে, জে. চি. কুমাৰাপ্পা, পণ্ডিত জৱাহৰলাল নেহৰু আদি মণীষীসকলৰ প্ৰামাণিক গ্ৰন্থৰাজিৰপৰা যথেষ্ট সমল আহৰণ কৰা হৈছে। প্ৰবন্ধৰ পাদ-টীকাত সেইবোৰৰ অনেকৰে উল্লেখ আছে। এই কামত প্ৰতিবন্ধকৰ মাজেদি কেনেকৈ আগবঢ়া হৈছে পুস্তকৰ প্ৰস্তাৱনাতে তাৰ আভাস আছে।

"ভূমি আৰু জীৱন" তিনি খণ্ডত বিভক্ত। প্ৰথম খণ্ডত ভূমি আৰু ভূমি বিভাগৰ ঐতিহ্য, দ্বিতীয় খণ্ডত ভূমিৰ মালিকী স্বত্ব আৰু ভূমি নীতি

সংস্কাৰৰ মূল কথা আৰু তৃতীয় খণ্ডত বৰ্ত্তমান ভূমি বিষয়াসকলৰ কৰ্ত্তব্য আৰু অতীতকালৰ অভিজ্ঞতাৰঞ্জিত ধৰণ গেটাচেবেক সন্নিবিষ্ট কৰা হৈছে। বুৰঞ্জীয়ে ঢুকি নেপোৱা কালৰ অথবা স্মৰণাতীত যুগৰ কাহিনী বৰ্ণোৱা কিঞ্চিৎ নিৰাপদ, নেদেখা দেৱতাৰ পৌৰাণিক কথা কোৱাও সহজ, কিন্তু জীৱন্ত লোকসকলৰ আৰু জীৱন্ত দেৱতাৰ বিষয়ে সত্য কথা বিবৃত কৰা সুকঠিন। কেনো কোনো ক্ষেত্ৰত ই বস্তুতঃ বিপদ-সঙ্কুলো। সেই হেতুকে তৃতীয় খণ্ডৰ ঘটনা সেইটাৰ বৰ্ণনাতো সৰবৰাত ডাঙৰ যায় বুলি শঙ্কা কৰি এইছোৱা পুথি মোৰ চিৰ-হিতৈষী উপদেষ্টা আৰু বান্ধৱ কৃষ্ণতুল্য গুৰু ন্যায়াধীশ শ্ৰীহলীৰাম ডেকা ডাঙৰীয়াক দেখুৱা হৈছিল। তেখেতে অ'ত-ত'ত হাত ফুৰাই গতৃ লগাই দি আমাক কৃতাৰ্থ কৰিছে।

দাৰ্শনিক কবি আৰু ভূমি-নীতিজ্ঞ পণ্ডিত শ্ৰীদুৰ্গেশ্বৰ শৰ্মাদেৱে "ভূমি আৰু জীৱন" ৰচনাত লিখকক নানা প্ৰকাৰে উৎসাহ দিয়াৰ উপৰিও ৰুগ্ন অৱস্থাৰ ভগ্ন স্বাস্থ্যৰেও আগ্ৰহ চক্ৰাত বহি লৈ ভালেকিখন ৰচনা নিজ কাণে শুনি আমাক আৱশ্যকীয় পৰামৰ্শ দিছিল। লিখক তেখেতৰ ওচৰত বিশেষভাৱে ঋণী। চক্ৰ কৰি জীৱনৰ গুৱাহাটীয়া কালডোখৰত সাহিত্য-ক্ষেত্ৰত যৎকিঞ্চিৎ যি চেষ্টা কৰা হৈছে সেই সকলোখিনিৰ গুৰিত আছে বিখ্যাত ৰস-সাহিত্যিক আৰু ঔপন্যাসিক বন্ধু শ্ৰীপ্ৰেমনাৰায়ণ দত্তৰ খোঁচনি বা উদগনি। তেখেতৰ উপকাৰৰ পৰশ অন্তৰতহে অনুভৱ কৰা যায়। এই সকলৰ উপৰিও ডাঃ জ্ঞানকান্ত শইকীয়া, ড° মহেশ্বৰ নেওগ সুসাহিত্যিক শ্ৰীবেণুধৰ শৰ্ম্মা, কলাশিল্পী শ্ৰীলক্ষেশ্বৰ শৰ্ম্মা, সাহিত্যামোদী শ্ৰীখনীন্দ্ৰ চন্দ্ৰ বৰুৱা, শ্ৰীশৰৎচন্দ্ৰ বৰুৱা আদি সদাশয় লোকসকলে উৎসাহ আৰু সুপৰামৰ্শেৰে লিখকক সততে সহায় কৰি আহিছে।

শেষত এইটো নকলে নচলে যে গুৱাহাটী আলোচনা চক্ৰৰ সভ্যসকলৰ কাৰণে ভূমি আৰু জীৱন নচিচাত ভৰোৱা পুৰণি তেল মাখোন। ইয়াকে ভাষা-জননীৰ পূজাৰ উদ্দেশ্যে সদাশয় পাঠক-পূজাৰীসকলৰ ওচৰত 'মিনতি হাম্বাৰী' স্বৰূপে নিবেদন কৰা হ'ল। ইতি

গুৱাহাটী
২ অক্টোবৰ, ১৯৫৮

শ্ৰীঅতুলচন্দ্ৰ বৰুৱা

ভূমি আৰু জীৱন

(প্ৰথম খণ্ড)

প্ৰস্তাৱনা

এক'ণপটীয়া অধ্যয়ন আৰু ধাৰাবাহিক লেখা যাৰে তাৰে ভাগ্যত নঘটে। যিসকলৰ জীৱনত "পঢ়ে, পঢ়ুৱায়, বোৰে পাণ; এই তিনি নিচিন্তে অ'ন." বচন খাটে তেওঁলোকেহে অধ্যয়ন আৰু ৰচনাক জীৱনৰ ব্ৰতৰূপে লব পাৰে। সঁচাকৈ ব্ৰত নহলে, ঐকান্তিকতা আৰু অধ্যৱসায় নাথাকিলে –কোনো মহৎ কাম হব নোৱাৰে। সেইবুলি খন্তেকীয়া চিন্তা আৰু ছেগা-চোৰোকা চেষ্টাৰ দ্বাৰা যে কোনো কামেই নহয় এনেও নহয়। টুকুৰা-টুকুৰ কাঠেৰেও নানা সজুলি তৈয়াৰ হোৱাৰ দৰে খন্তেকীয়, চিন্তা আৰু চেষ্টাৰ ফলতো ক্ষুদ্ৰ ক্ষুদ্ৰ ধৰণৰ জনহিতকৰ কাম হৈ উঠে। কোনো চিন্তাই বিফলে নাযায়। কবিয়েও কৈছে –

'যি কামকে কৰা, যি ভাবকে ভাবা, যি কথাকে কবা ভাই;

তাৰে গুটি পৰি, শস্য গজিব; আনিব লাগিব দাই।' – দুৰ্গেশ্বৰ শৰ্মা

সেয়েহে ভাব তৰঙ্গ স্বৰূপে এই ক্ষুদ্ৰ পুস্তক প্ৰণয়নৰ প্ৰচেষ্টা। চৰকাৰী চাকৰিৰ হেঁচাৰ মাজেদি, ডাৱৰীয়া বতৰত বেলি ভোৱাৰ দৰে, মনে যেতিয়াই খন্তেকৰ কাৰণে মুকলি পৃথিৱীখনৰ কাৰ্য্যাৱলী নিৰীক্ষণ কৰিবলৈ অৱসৰ পায় তেতিয়াই ভাব তৰঙ্গীণীৰ ঢৌ এজোকা উঠে। তাহানি কবি ভোলানাথ দাসে তেখেতৰ ক্ষুদ্ৰ ক্ষুদ্ৰ কবিতাবোৰক কিয় 'চিন্তা-তৰঙ্গিণী' নাম দিছিল আজিহে বুজিব পাৰিছোঁ। মানুহৰ মনটো সঁচাকৈয়ে যেন এখন নিজৰা আৰু চিন্তাবোৰ তাৰ সৰু সৰু ঢৌ; নৈৰ বুকুত মিলি নোযোৱালৈকে নিজৰা অবিৰাম বৈ থকাৰ দৰে শেষ নিশ্বাস নপৰালৈকে জীৱন প্ৰবাহো চলি থাকে। ধীৰ-স্থিৰভাৱে আত্ম-বিশ্বাস আৰু ভগৱানত ভৰসা ৰাখি চলি থকাই জীৱনৰ ধৰ্ম।

সংসাৰত মানুহে বিচাৰে কি? কিহৰ কাৰণে মানুহ বলিয়া? কোনেও অস্বীকাৰ কৰিব নোৱাৰে যে সংসাৰী মানুহৰ একমাত্ৰ কাম্য বস্তু সুখ-শান্তি।

এই সুখ বা শান্তিক নানা কালৰপৰা চাই নানা জনে নানা প্ৰকাৰে কল্পনা কৰে। বাস্তৱত সম্পূৰ্ণৰূপে উপলব্ধি কৰিব নোৱাৰা ই এটি আদৰ্শ বুলি কলেও বেছি অন্যথা নহব। পুত্ৰহীনে পুত্ৰ কামনা কৰে, পুত্ৰ লাভ হলে তেওঁ কেতিয়াও কব নোৱাৰে যে তেওঁ প্ৰকৃত সুখ পাইছে। তেতিয়া তেওঁৰ বাসনা অন্য কোনো বস্তু লাভৰ কাৰণে ঢাপ খায়। ধনহীনে ধন বিচাৰে। ধন পালেও কিন্তু তেওঁ সুখী হলোঁ বুলি কব নোৱাৰে। সংসাৰৰ ভোগ আৰু ভোগ-লিপ্সা এনেকুৱাই। সেইবাবেই ৰহস্যবাদী কবিয়ে স্বকীয় ভাষাত কৈছে—

'ভোগতেই মানুহৰ তৃপিতি পলোৱা হলে—
বাসনাও নোৱাৰে থাকিব;
মানুহৰ বাসনাৰ সমাধি শয়ন হলে—
জীৱন-মৰণো নাথাকিব।" —নলিনী দেৱী

গতিকে দেখা যায় সুখ-শান্তি সংসাৰত মৰীচিকাভ্ৰমৰ দৰে। ইয়াৰ শিপা মনৰ ভিতৰত। মনৰ মাজতে তাক বিচাৰি নাপালে বাহিক জগতত পোৱা নাযায়। সেই ভাবতে ইংৰাজ কবি মিল্টনে কৈছিল—মানুহৰ মনেই স্বৰ্গ আৰু নৰকৰ সৃষ্টি কৰে, স্বৰ্গকো নৰকলৈ আৰু নৰককো স্বৰ্গলৈ পৰিবৰ্তন কৰিব পাৰে।* আমাৰ তুৰবা কবিয়েও তেওঁৰ 'ওমৰ তীৰ্থ'ত কৈছে—

"মনৰ মাজত পুৰিলে বাসনা
ধৰিবা তাকেই সৰগ বুলি
বিফল বাসনা কঠোৰ নিৰাশে
ধৰে নৰকৰ ছবিটি তুলি।"

তুৰবা)

মনৰ মাজত শান্তি অনুভৱ কৰিব যাৰ নাই তেওঁ তাক বাহিৰত হাজাৰ বিচাৰিলেও নাপায়। অথবা এইদৰেও কোৱা যায় যে যি নিজৰ মনৰ

* The mind is its own place, and in itself
Can make a heav'n of hell, a hell of heaven.
"Paradise Lost"—Book II.

মাজতে থকা সুখৰ এই উপাদানটি অনুভূতি আৰু কল্পনাৰ মাজেদি উপলব্ধি কৰিবলৈ যত্নবান নহয়, তেওঁ কেতিয়াও সুখী হব নোৱাৰে। এই সুখানুভূতি উপলব্ধিৰ কাৰণে ভগৱৎ কৰুণাৰ দৰকাৰ। কৰ্ত্তব্যকে ধৰ্ম্ম বুলি ধৰি লৈ যি লোকে জীৱন-যুঁজত আগ বাঢ়ে আৰু ফলাফল সকলো ভগৱানত অৰ্পণ কৰিবলৈ শিকে তেওঁ মৃগনাভিৰ গন্ধকলাই পোৱাৰ দৰে অন্তৰ্নিহিত সুখ উপলব্ধি কৰিবলৈ শিকে। নেতাজী সুভাষ বসুৰ দৰে উগ্ৰ বিপ্লৱী পুৰুষেও তেওঁৰ চিঠি এখনত সেইবাবেই কৈ গৈছে—"মনেৰ মধ্যে সুখ ও শান্তি নাথাকিলে কোনও অবস্থায় (বাহিৰেৰ অভাব দূৰ হইলেও) মানুষ সুখী হইতে পাৰে না। সুতৰাং সাংসাৰিক সকল কৰ্ত্তব্য কৰাৰ সঙ্গে সঙ্গে বিশ্ব-জননীৰ চৰণে হৃদয় নিবেদন কৰা চাই।"

'মিনতি হামাৰী', 'শৰণং গচ্ছামি' এনে ধৰণৰ নিজক বিশ্বনিয়ন্তাৰ চৰণত ঢালি দি সৰু হৈ যোৱা ভাব যদি আমি মনলৈ আনিব পাৰোঁ, তেনেহলে আমাৰ ময়মত্ত অহমিকা ভাব নইকিয়া হব। তেনে মুহূৰ্ত্তত প্ৰধান মন্ত্ৰীয়েও অন্তৰত উপলব্ধি কৰিব যে মূৰ্খ গাৱলীয়া এজনৰো জীৱন তেওঁৰ জীৱনৰ দৰেই একে পদাৰ্থেৰে আৰু একে ভাব-গতিৰে গঢ়া; একেডাল শিকলিৰে সিও এটা আঙঠি। গীতাত ভগৱান শ্ৰীকৃষ্ণই সেইবাবেই অৰ্জ্জুনক উপদেশ দিছিল—"হে কৌন্তেয়! যিকোনো কাম- ভক্ষণ, হোম, দান, তপস্যা, যিহকে নকৰা কিয় তাক মোত অৰ্পণ কৰি কৰিবা—

"যৎ কৰোষি যদশ্নাসি যজ্জুহোষি দদাসি যৎ।
যৎ তপস্যসি কৌন্তেয় তৎ কুৰুষ্ব মদৰ্পণম্॥" ৯.২৭॥

কঠিন গছৰ সেউজীয়া পাতৰ মাজেদি ওলাই ওচৰৰ ঠাই আমোদিত কৰা সুগন্ধি ফুলটোৰ দৰে কঠোৰ কৰ্ত্তব্যেৰে ভৰা দুখময় জীৱনৰ মাজেদি মনত ফুলি উঠা শান্তি পুষ্পও ব্যক্তি আৰু সমষ্টিৰ কাৰণে হিতকৰ, প্ৰীতি-দায়ক আৰু মনোহাৰী। গীতাৰ মতে স্বধৰ্ম্ম বা কৰ্ত্তব্যৰ মাজেদিহে লোকে শান্তি, সুখ আৰু স্বৰ্গ পাব পাৰে। সেইবাবেই যুদ্ধক্ষেত্ৰত ম্ৰিয়মান অৰ্জ্জুনক সখা কৃষ্ণই কৈছিল—"স্বধৰ্ম্মে নিধনং শ্ৰেয়ঃ, পৰধৰ্ম্মো ভয়াবহঃ" অৰ্থাৎ নিজৰ কৰ্ত্তব্য কৰি থাকিলে মৰিয়ে যোৱা, আনৰ কৰ্ত্তব্য বা ধৰ্ম্মত হেতাওপৰা নকৰিবা। ক্ষত্ৰিয় হৈ যুদ্ধত অৱতীৰ্ণ হোৱা অৰ্জ্জুনৰ সেই সময়ত

যুদ্ধ কৰাত বাহিৰে অন্য ধৰ্ম্ম নাছিল। "হতো বা প্ৰাপ স্যসি স্বৰ্গং, জিত্বা বা ভোক্ষ্যসে মহীম্" অৰ্থাৎ যুদ্ধত মৰিলে স্বৰ্গ, তৰিলে ৰাজ্য—এয়ে আছিল তেওঁৰ লক্ষ্য।

গতিকে দেখা যায় যাৰ যি কৰ্ত্তব্য সেয়ে তাৰ ধৰ্ম্ম, আৰু নিজ নিজ কৰ্ত্তব্য বিবেক বুদ্ধিৰে সম্যকভাৱে কৰি যাব পৰাতেই তেওঁৰ সুখ আৰু পুণ্য হয়। শিক্ষকে শিক্ষাদান, খেতিয়কে খেতি, বনুৱাই কাম-বন, বিচাৰকে বিচাৰ—এই ধৰণে সকলোৱে নিজৰ কাম যথাশক্তি কৰি গলেই সমাজৰ আৰু দেশৰ উন্নতি হব। বৈজ্ঞানিক আৰু দাৰ্শনিকসকলে সেইবাবে সৃষ্টিৰ কোনোটো বস্তুকে অলাগতিয়াল বুলি নাভাবে। তেওঁলোকৰ বিচাৰত যত্নেৰে উলিওৱা ভুল তত্ত্ব (theory) এটাৰ যি মূল্য শুদ্ধটোৰো সেই একে মূল্য; কিয়নো সময়ৰ সোঁতত কেতিয়াবা শুদ্ধ তত্ত্বটোও ভুল বুলি প্ৰমাণ হবগৈ পাৰে। গতিকে কোনো বস্তুৱে তেওঁলোকৰ মতে মূল্যহীন নহয়। তেওঁলোকৰ মানত কয়লা আৰু হীৰা একে বস্তু; তাপৰ তাৰতম্য মাত্ৰ। সেই দৃষ্টিৰে চালে দেখা যাব যে হালৰ মুঠি ঠেলা চহা খেতিয়কজনৰ যিমান আৱশ্যক নিউটন, বাৰ্নাড শ্ব, নেহৰুৰো সিমানে আৱশ্যক। প্ৰত্যেকেই কোনো এক মহাজীৱনৰ যেন একোটা অঙ্গ, বিৰাট সৃষ্টিযন্ত্ৰৰ একো একোটা অংশ! সকলোৱে নিজৰ নিজৰ ক্ষেত্ৰত কৰ্ত্তব্য কৰি গলেহে ধৰ্ম্ম আচৰণ কৰা হব। তেনে এটি ধাৰণাই 'ভূমি আৰু জীৱন' ৰচনাৰ কাৰণে বিশেষকৈ দায়ী। কিয়নো ভূমি বিভাগত কাম কৰি ভূমিৰ কথা আৰু ভূমি বিভাগৰ কৰ্ম্ম-চাৰীৰ জীৱনৰ কিঞ্চিৎ আভাস আমাৰ দেশৰ ভৱিষ্যৎসকলৰ আগত দাঙি নধৰিলে—"মেলত থাকি নামাতে উচিত, দোষে পায় কিঞ্চিৎ কিঞ্চিত" হব বুলি আমাৰ ধাৰণা। সেয়েহে ভাগৱতৰ উপদেশ মানি প্ৰস্তাৱনা আগবঢ়োৱা হ'ল—"কৰোমি যৎ যৎ সকলং পৰস্মৈ, নাৰায়ণেতি সমৰ্পয়েতৎ"।

—০—

মাটিৰ আকৰ্ষণ

মাটি বুলিলেই বহুতৰে হয়তো মনটো বিগৰি যায়। 'সকলো মাটি কৰিলি', 'যত্ন-চেষ্টা সকলো মাটি হ'ল'—এনে কথাই মনলৈ বিফলতাহে আনে। মাটি এৰিবৰ এই ইচ্ছাটো মনৰ কোনটো কোণত লুকাই থাকে বুজা নাযায়। মাটিৰ পৃথিৱীতে থাকি, মাটিৰ শৰীৰকে লৈ মানুহে মাটিক এৰি ফুৰাৰ খোজে, কিমাশ্চৰ্য্যং অতঃপৰম্?

পিছে, ভূমি বা মাটিৰ কথা শুনি আপুনি মুখ বিকটাই দিব পাৰে সঁচা, কিন্তু মাটিৰ লগত থকা সম্বন্ধটো হলে মৰিও এৰিব নোৱাৰে। ধৰক ৰাজকোঁৱৰ আপুনি; সোণৰ পালেংত আপোনাৰ মাক-বাপেক শোৱে; সোণৰ পলেংত আপুনি উপজিছে; সোণৰ কটাৰীৰেহে আপোনাৰ নাভি ছেদন কৰা হৈছে; তথাপি সোণৰ পালেংত জন্ম বুলিও আপোনাক জনো স্বৰ্ণ-পালঙ্গস্থ হোৱা বুলি কব? কব—ভূমিস্থ হোৱা বুলিহে। 'মোৰ জীৱন সোঁৱৰণ' বোলা প্ৰবন্ধত ৰসসাজ বেজবৰুৱাই সেইবাবেই কৈছিল—নামত ভূমিস্থ হৈছিল যদিও আচলতে তেওঁ হেনো নৌকাস্থহে হৈছিল। কাৰণ পূৰ্ণিমা নিশা নাৱেৰে মাক বাপেক ব্ৰহ্মপুত্ৰইদি গৈ থাকোঁতে নৌকাত তেওঁৰ জন্ম হৈছিল।

মাটিৰ লগত উমলিবলৈ, মাটিত ধূলি-ঘৰ সাজি দৰা-কইনা খেলিবলৈ হাবিয়াস হোৱাটো সকলো লৰা-ছোৱালীৰে প্ৰবৃত্তি। আনকি হিন্দুসকলৰ গোসাঁই কলীয়া কৃষ্ণও এদিন মাটি খাই, মাটিত লুটুৰি-পুতুৰি হৈ থাকিহে আমোদ পাইছিল, আৰু সেইবাবেই আন আন দহজনা সাধাৰণ মাকৰ দৰে তেওঁৰ মাক যশোদাই খঙত একোনাই হৈ কৈছিল—"কিয় মাটি খাইলি অ'ৰে গোপাল। কোবায়া আজি তোৰ ফাৰিবো ছাল॥" তেতিয়া—"মই মাটি খোৱা নাই, লাগিলে চোৱা" বুলি কৃষ্ণই যেতিয়া মুখ মেলি মাকক দেখুৱালে, তেতিয়া যশোদাই তাত দেখিলে কি?—"যশোদা সুন্দৰী দেখন্ত পাছে। সমস্ত জগৎ গৰ্ভতে আছে॥" ইত্যাদি; ইয়ো সেই মাটিৰে কথা।

মহাকবি টেনিছনৰ যুগজয়ী কবিতা ইনক-আৰ্ডেনত আছে—ইনক-আৰ্ডেন ফিলিপ ৰে' আৰু এনীলী—ইহঁত তিনিও হেনো সাগৰৰ বালিত ধূলিঘৰ সাজি দৰা-কইনা খেলিছিল। তাতে কোনো দিন ইনক হয় দৰা এনীলী কইনা আৰু ফিলিপ আলহী। আকৌ কেতিয়াবা ফিলিপ দৰা, এনীলী কইনা আৰু ইনক আলহী। কইনা সদায় এনীলীয়ে হয়, দৰা হোৱা লৈ ফিলিপ আৰু ইনকৰ মাজত কেতিয়াবা যুঁজ লাগে। তেতিয়া বেচেৰী এনীলিয়ে এই বুলি আশ্বাস দি কাজিয়া ভাঙি দিয়ে—

"কিয়নো কন্দল বাৰু কৰাইক দুয়ো অবাবত।
হে ক্ষুদ্ৰ পত্নী মই তোঁষিম দুয়োকো তোমাসাৰ উভয় গৃহত ॥"
(দীননাথ চহৰীয়া); ইও মাটিৰে কথা।

আজিও আপুনি আকাশী যানত অভিলাসমতে বিহৰণ আৰু বিচৰণ কৰিব পাৰে, জাকজমকীয়া জাহাজত জল-ভ্ৰমণ কৰিব পাৰে; গগনস্পৰ্শী উচ্চ অট্টালিকাৰ ভিতৰত গৰম কালি শীতল বতাহ লৈ আৰাম কৰিব পাৰে; কিন্তু ভূমি এৰিব নোৱাৰে; মাটিৰ লগত সম্বন্ধ বিচ্ছিন্ন কৰিব নোৱাৰে। যি পঞ্চ-ভূতেৰে আপোনাৰ শৰীৰ গঠিত, তাৰো প্ৰথমটোৱেই ক্ষিতি বা মাটি। "মাটিৰ মানুহ ভাই, মাটিতে মিলিবা যাই"—এই কথা ধ্ৰুপ।

সেই দেখিয়েই নেকি মাটিয়ে মানুহক অনুক্ষণ, অহৰহ অবিৰামভাৱে আকৰ্ষণ কৰি থাকে। দকৈ গমি চালে দেখা যাব যে মানুহক কিয়—ফল, ফুল, ডাল, পাত, চৰাই-চিৰিকটি আদি ওপৰত থকা সকলো বস্তু বা জীৱ-জন্তুকেই মাটিয়ে নিজৰ বুকুলৈ আকৰ্ষণ কৰি থাকে। সকলোবোৰ যেন ধৰিত্ৰীৰ বুকুৰ আগমঙ্গহ, আৰু সেয়েহে ধৰাই সকলোবোৰকে নিজৰ কৰি জাৰ ওচৰলৈ আকৰ্ষণ কৰি থাকে। দাৰ্শনিক পণ্ডিত নিউটনে সেই আকৰ্ষণৰ কথা ভাঙ্গি-পাতি আমাৰ আগত কোৱাৰ আগতেও পৃথিৱীৰ সেই আকৰ্ষণ আছিল আৰু আমি স্বীকাৰ নকৰিলেও সি থাকি যাব। মানুহৰ পঞ্চভূতী দেহৰ আদি আৰু অন্তও সেই মাটিয়ে। মাটিৰ মানুহে মাটিৰ মানুহৰ প্ৰতি হিংসা, দ্বেষ, প্ৰীতি, প্ৰেম, দয়া, দাক্ষিণ্য আদি দেখুৱাই পুনঃ মাটিতে এদিন বিলীন হয়। মাটিৰ লগত থকা মানৱ জীৱনৰ এই অকাট্য সম্বন্ধ উপলব্ধি কৰিব পাৰিয়ে হবলা তাহানি মহামানৱ মহত্মা গান্ধীয়ে মানুহৰ সকলো ৰোগৰ চিকিৎসা কেৱল মাটি-পানীৰেই কৰিব পাৰি বুলি বিশ্বাস

কৰিছিল আৰু কাৰ্য্যতো তাৰ প্ৰমাণ দিছিল! বিলাতলৈ যাওঁতে জাহাজত পৰি চাংৰাৰ ল'ৰাৰ হাত ভাগিলত মহাত্মাই তেওঁৰ লগত লৈ যোৱা মাটি-পানীৰে চিকিৎসা কৰি তাক আৰোগ্য কৰিছিল।

আকৌ চাওক, মাটিৰ কাৰণেই-- বা তাকেই অন্য ধৰণে কলে ভূমি বা ৰাজ্যৰ কাৰণেই আজি ইদেশৰ লগত সিদেশৰ কাজিয়া, ই ৰাজ্যৰ লগত সিৰাজ্যৰ যুদ্ধ চলিব লাগিছে। কুৰুক্ষেত্ৰ ৰণৰো সূত্ৰপাত হৈছিল— দুৰ্য্যোধনৰ বিনা যুদ্ধে সূচ্যগ্ৰ মেদিনী এৰি নিদিম বোলা একাষাৰ কথাতে। সীমাৰ মাটি অকণমানকে লৈ তেতিয়াৰেপৰা আজিও জানো সীমা মুৰিয়লি অনেক লোকৰ ভিতৰত কুৰুক্ষেত্ৰৰ ক্ষুদ্ৰ তাণ্ডৱ খেতিৰ পথাৰত অথবা দেৱানী, ফৌজদাৰী আদালতত নহয়? অভিজ্ঞতাৰপৰা এইটো সহজে কোৱা যায় যে যিমানে ভাওৰ মানুহ হওক লাগিলে সীমাৰ এক ইঞ্চি মাটি বেছিকৈ পালেও ভৰীপ কাৰকক ধন্যবাদ নিদি নাথাকে। মানুহৰ এই স্বাৰ্থপৰ মোহান্ধ ভাবেই অধিকাংখিনি কন্দলৰ মূল। বিশ্বগ্ৰাসী মহাযুদ্ধৰ যি কাৰণ সাধাৰণ মাটিৰ কাজিয়াৰো সেই একে কাৰণ, আকৃতিতহে পৃথক, প্ৰকৃতিত নহয়। বিভিন্ন দেশৰ মাজত হোৱা ভূমি সংক্ৰান্ত বিবাদবোৰ অনেক সময়ত নিৰপেক্ষ আয়োগৰ দ্বাৰা বিচাৰ কৰোৱা হয়; সৰুসুৰা মাটিৰ কাজিয়াবোৰ ঠিক কৰে মণ্ডলে। তাতে বিদমান জাতিৰ ভিতৰত আপোচ নহলে বা কন্দল নুগুচিলে দোষী হয় বিচাৰকমণ্ডলী বা নিৰ্ব্বাচিত আয়োগ: সীমাৰ কাজিয়াত বিবাদ নাভাঙিলে 'যত দোষ নন্দ ঘোষ' হয় মণ্ডল। তেতিয়া কোৱা হয় মণ্ডলেই কন্দলৰ গুৰি; আৰু জমি জমাৰ পুথি-পাঁজি হাতত থকা কাৰণেই শিক্ষাত ক-ক-ম-ম পঢ়া মণ্ডলো হয় 'গ্ৰামস্থ ৰাজা।'

তেনেহলে দেখা যায় মানুহে ভূমিতে জন্মি, ভূমিৰ উৎপন্নেৰে জীৱিত আৰু পৰিবৰ্দ্ধিত হৈ ভূমিতে পুনঃ লীন যায়। জীয়া কাল ডোখৰতো ভূমিয়ে তেওঁক নানা প্ৰকাৰে আকৰ্ষণ কৰি থাকে। শৈশৱ যৌৱন-জৰা কোনো অৱস্থাতে মানুহে ভূমিৰ আকৰ্ষণ এৰাব নোৱাৰে। এতিয়া দেশে দেশে জন সংখ্যা বঢ়াৰ লগে লগে ভূমি-সমস্যাও বাঢ়ি আহিছে। আনকি ভাৰত, চীন আদিৰ দৰে কৃষি-প্ৰধান দেশবোৰৰ প্ৰধান সমস্যাও হৈছে ভূমি সমস্যাই। চীন দেশে আজি শ-শ বছৰৰ অন্তত ভূমি সমস্যা প্ৰায় সমাধান

কৰিলে। ভাৰতত আজি সেই সমস্যাই নেতাসকলক চিন্তাগ্ৰস্ত কৰি তুলিছে। অকল নেতাসকলেই নহয়, সকলো চিন্তাশীল ব্যক্তিয়ে এই সমস্যাৰ কথা ভালকৈয়ে ভাবিছে; ৰজা-ৰাইজ সকলোৰে উমৈহতীয়া চিন্তাধাৰা আৰু কাৰ্য্য কোন পথেদি আগুৱাব লাগিছে—সেইটো নিৰপেক্ষভাৱে বিচাৰ কৰি সকলোৱে এই সময়ত নিজ নিজ কৰ্ত্তব্য কৰা উচিত। তাকে নকৰিলে বা কৰিব নোৱাৰিলে বনাগ্নিয়ে গছ-লতা গ্ৰাস কৰাৰ দৰে সময়ৰ সোঁতে সকলোকে ধ্বংসৰ পথত লটি-ঘাটি কৰিবই; ৰক্ষা নাই।

—

সমাজ, কৃষি আৰু গাঁৱৰ ইতিবৃত্ত

মানুহ স্মৃতিৰ পূজাৰী। আবহমান কালৰপৰা সি স্মৃতিৰ পূজা কৰি আহিছে আৰু অনন্ত কাললৈ তাকে কৰি থাকিব। আগলৈ চোৱাৰ লগে লগে মানুহে পাছলৈও চায়; ভৱিষ্যতৰ সোণালী কল্পনা মনলৈ অনাৰ লগে লগে অতীতৰ গৌৰৱময় স্মৃতিবোৰো সোঁৱৰণ কৰে। ব্যক্তিগত জীৱনত যিদৰে অতীত স্মৃতিৰ স্থান আছে, সেইদৰে সমাজতো আছে! গাঁৱলীয়া সমাজ, যাক লৈ আজি সভ্যতাই গৌৰব কৰি আহিছে; সেই সমাজনো কিদৰে পোনতে গঢ় লৈছিল, সেই গাঁৱবনো আদিতে কেনেকৈ সৃষ্টি হৈছিল সেই কথাবোৰ জানিবলৈ স্বাভাৱিকতে মানুহৰ ধাউতি হয়।

মানুহৰ বিষয়ে প্ৰথমে কোৱা হয় মানুহ সমাজপ্ৰিয় জীৱ। এই সমাজ-প্ৰিয়তা মানুহৰ জন্মগত প্ৰবৃত্তি নে পাৰিপাৰ্শ্বিকতাৰ প্ৰভাৱ? ভয়ত ইজনে সিজনৰ সহায় পাবলৈ বুলি মানুহ সমাজবদ্ধ হয় নে প্ৰবৃত্তিয়ে মানুহক তেনে কৰে? আদি মানৱ আদামে ঈভৰ সঙ্গসুখ বিচাৰিছিল নে জৈৱিক আকৰ্ষণৰ হেতুকে পাৰস্পৰিক সহানুভূতিসম্পন্ন হৈ সমাজ এখনি পাতি উন্নত জীৱন যাপন কৰিবলৈহে দুয়ো লগ লাগিছিল? এনেবোৰ কথাৰ সঁহাৰি নানা-জনে নানাভাৱে দিলেও স্বীকাৰ কৰিব লাগিব যে সমাজ মানুহৰ প্ৰয়োজনে সৃষ্টি কৰা অনুষ্ঠান। দূৰ অতীতৰ সেই যুগত যেতিয়া মানুহে ফলাহাৰ কৰি বা কেঁচা মাংসাদি খাই জীৱন যাপন কৰিছিল তেতিয়া আছিল 'যোগ্য ভোগ্যা বসুন্ধৰা' (Survival of the fittest) নীতিৰ পূৰ্ণ পৰিপোষক। জোৰ যাৰ মুলুক তাৰ—এয়ে আছিল ধৰিত্ৰীৰ বুকুৰ জীৱ-জগতৰ একমাত্ৰ নীতি বা আইন। হাবিৰ জীৱজন্তু আৰু মানুহ একেলগে থাকিছিল, একে নিৰ্জনাকৈয়ে আহাৰ-বিহাৰ কৰিছিল। তেতিয়া প্ৰত্যেকৰ প্ৰাণৰ কাৰণে প্ৰতি মুহূৰ্ত্ততে আছিল শঙ্কা। প্ৰতি মুহূৰ্ত্ততে আগন্তুক বিপদৰ ভয়! কাৰণ, কাক কোনে মাৰি পেলায়, কি জন্তুৱে কি জন্তুক কোন মুহূৰ্ত্তত খায়, তাৰ ইয়ত্তা নাছিল।

মানুহক ভগৱানে চিন্তা কৰিব পৰা হিতাহিত জ্ঞান দি অন্য জীৱ-জন্তুতকৈ উচ্চ স্তৰৰ কৰি সৃষ্টি কৰিছে। গতিকে অন্য জীৱজন্তুৰ যৌথ সমাজ নৌ হওঁতেই জীৱনৰ শঙ্কা আৰু বিপদ-বিঘিনিবোৰৰ ভয়ে মানুহক সমাজ পাতি থাকি ইটোৱে সিটোক ৰক্ষা আৰু সহায় কৰিবলৈ শিকালে। এইদৰে মানুহে নিজৰ সুবিধাৰ কাৰণে পোনতে থাকিবলৈ লৈছিল নদীৰ পাৰত অথবা পাহাৰত। নদীমাতৃক সভ্যতা আৰু পাহাৰী সভ্যতা দুয়োটা সভ্যতা এইদৰেই আৰম্ভ হৈছিল। নৰকাসুৰ, ভগদত্ত আদি ৰজাসকলৰ ৰাজধানী আছিল পাহাৰৰ ওপৰত। ইফালে খ্ৰীষ্টপূৰ্ব্ব প্ৰায় বাৰ হাজাৰ বছৰৰ আগতে ইউফ্ৰেটিচ আৰু নীল নদীৰ পাৰতে কৃষি-প্ৰধান মানৱ সমাজে পোনতে গঢ় লৈছিল বুলি পণ্ডিতসকলে কয়। ভাৰতীয় সভ্যতা তেনেকুৱা দুয়োবিধ সভ্যতাৰে সংমিশ্ৰণ বুলিহে জ্ঞানী লোকসকলে নিৰ্ণয় কৰিছে।•

গাঁওবোৰেই সমাজ, কৃষি আৰু সভ্যতাৰ আদিম আৰু প্ৰাচীনতম কেন্দ্ৰ। প্ৰাণৰ শঙ্কাত ত্ৰাণ পাবৰ কাৰণে সৃষ্টি কৰি লোৱা মানৱৰ এই সমূহীয়া অনুষ্ঠানটোৱে কেনেকৈ গৈ ক্ৰমাৎ ৰাজ্যত পৰিণত হ'ল আৰু সেয়ে সময়ৰ সোঁতত গৈ কেনেকৈ সুন্দৰ সুশোভন ৰম্য পুৰীৰ সৃষ্টি কৰিলে ভাবিলে আচৰিত হব লাগে।

সমূহীয়াভাৱে থাকিবলৈ লওঁতে পোনতে প্ৰত্যেক সমাজ বা গাঁৱতে একো একোজন লোকে নিজৰ বুদ্ধি আৰু শাৰীৰিক বলেৰে অনবিলাকৰ

• The confluence of the Aryans and the Dravidians in India is an example nearer home It was a meeting of the mountain civilization of the North and the sea civilization of the South. They had lived unknown to one another for thousands of years. When they met they had both war and peace, segregation and mixure. Both had their independently developed separate cultures. The Aryans were more intellectual and the Dravidians were more devotional. Their confluence ultimately produced a big nation in which good points of both the North and the South were absorbed—Vinoba Bhave —"Harijan", 22. 9.51.

ওপৰত প্ৰাধান্য বিস্তাৰ কৰিবলৈ ধৰিলে! আৰু এইটো এটা মনোবিজ্ঞান সন্মত কথা যে শক্তি আৰু গুণত সাধাৰণক যি চেৰ পেলাব পাৰে তাৰ আশ্ৰয় আৰু নেতৃত্ব পাবলৈ দুৰ্ব্বলসকলে সদায় ইচ্ছা কৰে। বলে নোৱাৰা শিলক বোলে পৰি নমস্কাৰ কৰিব লাগে। প্ৰথমতে সমাজ গঢ়ি উঠিবলৈ ধৰোঁতেও দুৰ্ব্বল মানুহসকলে সবলৰ ওচৰত সেইদৰেই সেও হব লগীয়া হৈছিল। এইদৰে প্ৰত্যেক গাঁও বা প্ৰত্যেক সমাজতে এজোজন বাহুবলী বুদ্ধিমান লোকেই নেতৃত্ব কৰিছিল। তেওঁই যিদৰে চলাইছিল অন্য লোকে সেইদৰেই চলিছিল। তেৱেঁই খেতিবাতিৰ কাৰণে মাটি ভগাই দিছিল, কাজিয়া-পেচাল হলে বিচাৰ কৰিছিল আৰু বিপদ-আপদৰ সময়ত দিহা-পৰামৰ্শ দি সহায় কৰিছিল। সাধাৰণতে এই বাৰে পুত্ৰ পৰম্পৰাভাৱে চলি আহিছিল। কিন্তু যেতিয়া বৈ তেনে নেতৃত্ব কিছু দুৰ্ব্বল লোকৰ হাতত পৰিছিল তেতিয়া অন্য যোগ্যবান লোক ওলাই বলেৰে সেই নেতৃত্ব কাঢ়ি লৈছিল। এইদৰে যুঁজ-বাগৰ কজিয়া-কন্দল আদিও সমাজত মাজে সময়ে চলি আহিছিল। নেতাৰ পৰিবৰ্ত্তন ঘটিলে শাসনৰ ৰীতি নীতিও কিছু বদলি হৈছিল।* এই দৰেই সৃষ্টি হৈছিল আমাৰ শুৱনি গাঁওখনি, যাৰ বৰ্ণনা কৰিয়ে দিছে—

শুৱনি আমাৰ গাঁওখনি অতি শুৱনি গছেৰে ভৰা।
ডাল ভৰি ভৰি ফলফুল লাগে কত পাওঁ তলসৰা॥
শুৱনি আমাৰ ধাননি পথাৰ ধানেৰে উপচি পৰে।
শুৱনি নদীৰ পানীভৰা ঘাট মুদৈয়ে বেপাৰ কৰে॥

ইত্যাদি

(২)

এনে ফল-ফুলে উভৈনদী, গছ-বিৰিখেৰে সুশোভন, বিনন্দীয়া গাঁওখনিত খেতি কেনেকৈ আৰম্ভ হৈছিল, নাঙলৰ উৎপত্তি কেনেকৈ হ'ল ধান, মাহ,

* Indian Tenures are largely the result of changes and growths, the fruit of the wars and incursions, tribal and local conquests or usurpations and the rise and fall of ruling families.—Land Revenue in British India.

—by Baden Powell

মাকে, য' ধান আদিৰ খেতি মানুহে পিদৰে কৰিবলৈ পালে ইত্যাদি কথাবো পণ্ডিতসকলে বিচাৰ কৰিছে।

প্ৰথম অৱস্থাত মানুহ আছিল প্ৰকৃতিৰ বুকুৰ এটি বনৰীয়া জীৱ। বনত আহাৰ-বিহাৰ কৰি, বনৰ ফল-মূল আৰু নৈ-নিজৰাৰ পানী খাই মনৰ স্বচ্ছন্দভাবে ঘুৰি ফুৰাই আছিল মানুহৰ প্ৰবৃত্তি আৰু কাম।

প্ৰকৃতিৰ বিভীষিকাই আৰু হিংস্ৰ জন্তুবোৰৰ অত্যাচাৰে মানুহক থূল পাতি থাকিবলৈ শিকালে। হাবিয়ে বননিয়ে ঘুৰি ফুৰোঁতে হিংস্ৰ জন্তুৰপৰা হাত সাৰিবলৈ নতুবা সৰুসুৰা চিকাৰৰ কাৰণে মানুহে এফোডাল লাখুটি বা টোঙন হাতত লৈ ফুৰিছিল। অনেক কামত সহায় কৰা কাৰণে এই টো বনক আজিও মানুহে নটা গুণেৰে বিভূষিত কৰে; যেনে—

"হাত-সখা, পানী-জোখা।
নাই চাৰি, বহিলি পাৰি।
শত্রুৰে নাপাবে লাই,
বাটৰ কাষৰে থাকে চাই।
শকে শোকে তই বান্ধিবি ভাব;
নহ'ল হ'লা পানী হবি পাৰ।
কিনো বুঢ়াৰ আমোল;
ওভোটাই খুন্দে তামোল॥"

এই লাখুটিয়েই আজিও এসময়ৰ পুৰণি গড়গাঁও নগৰৰ স্বৰূপ সোঁৱৰাই দিয়ে—'গড়গাঁৱৰ পিছল বাট; বুঢ়াকো নিচিনি, ডেকাকো নিচিনি, হাতে-পতি লাখুটি পাট।" এই হেন লাখুটিয়েই নাঙলৰ পূৰ্ব্বপুৰুষ বুলি ধৰি লব পাৰি। ইও এটা সাধুকথাৰ দৰে কাহিনী।

মানুহে কোনোবা এদিন হাবিত ঘুৰি থাকোঁতে কোনো এঠাইত দেখিবলৈ পালে—কিছুমান ধুনীয়া ফলৰ সৰু সৰু গছ। বাকলি গুচাই খাই দেখে ফলবোৰ অৱল দেখিতে ধুনীয়া নহয়, বহুদিনলৈ সাঁচি ৰাখিব পৰা ধৰণৰে। সেও সেইবোৰ আনি ৰাখিলে আৰু তাৰ খেতি কৰিবলৈ মন মেলিলে। যেনেকুৱা ঠাইত এই গছবোৰ আগতে গজি আছিল ঠিক তেনেকুৱা ঠাইতে ইহঁতৰ গুটি সিচি দি খেতি কৰা হ'ল। মাটিভোখৰত গুটিবোৰ যাতে সহজে পুতিব পাৰি তাৰ কাৰণে তাক খান্দি উপযুক্ত কৰিবলৈ

লাঠিটিকে পোনতে ব্যৱহাৰ কৰা হৈছিল। তাৰ পিছত গছৰ বেকা ডাল আনি তাৰে নাঙলৰ দৰে সজলি তৈয়াৰ কৰি লোৱা হ'ল। এইদৰে হ'ল খেতিৰ সজলি নাঙল প্ৰস্তুত, আৰু হাবিত অকস্মাতে পোৱা ফলবোৰেই হ'ল গম-ধান, য' ধান আৰু অন্যান্য ধানবোৰ। এই নাঙলৰ উৎপত্তি সম্বন্ধে কিন্তু নানা দেশত নানা কিংবদন্তি চলি আছে। তাৰে কেতবোৰৰ মতে মানুহক নাঙল পোনতে দেৱতাই দিছিল। গ্ৰীকসকলক দিছিল - ট্ৰিপ্টলেমচ্ (Triptolemos) দেৱতাই, ইজিপ্তিয়ানসকলক ওৰিছিচ (Orisis) দেৱতাই, স্পেইনদেশীয়সকলক দিছিল হেবিছ (Habis) দেৱতাই আৰু চীনদেশীয় লোক-সকলক দিছিল চেন নাং (Shen Nung) দেৱতাই। ভাৰতৰ হিন্দুসকলৰ কাৰণে হলধৰ বা হলিৰাম স্বয়ং ভগৱানৰেই অৱতাৰ। হলধৰ বা নাঙল লোৱা অৱতাৰী পুৰুষৰূপে ভগৱান যেনো স্বয়ং অৱতীৰ্ণ হৈছিল। এইদৰে খেতিৰ আৰম্ভ আৰু নাঙলৰ ব্যৱহাৰ খ্ৰীষ্ট জন্মৰ বাৰ হাজাৰ বছৰমান আগে হৈছিল বুলি পণ্ডিতসকলে অনুমান কৰে।

খেতি আৰম্ভ হোৱাৰ লগে লগে খেতিৰ যেহেতু সমাজপ্ৰিয় মানুহক সংঘবদ্ধভাৱে থাকিবলৈ আৰু এটা কাৰণ যোগালে। খেতি কৰি গছৰ ডাল-পাতেৰে ঘৰ বান্ধি নিগাজিকৈ থাকিবলৈ ভ্ৰাম্যমান মানুহক তেতিয়া অৱস্থাই বহু পৰিমাণে বাধ্য কৰিলে।

হাবি বননিত পোৱা জন্তুবোৰৰ ভিতৰত গৰু অতি নিৰীহ দেখি তাকেই আনি পোনতে নাঙল টানিবলৈ ব্যৱহাৰ কৰা হ'ল। তাৰ আগতে মানুহেই নাঙল ঠেলি বা টানি কাম চলাইছিল। ভাৰতত আৰু নীল নদীৰ পাৰতেই প্ৰথমে গৰু পোহা হৈছিল বুলি পণ্ডিতসকলৰ সিদ্ধান্ত। আগৰ দিনত যে গোধন ভাৰতীয়সকলৰ এটা প্ৰধান সম্পত্তি আছিল তাক অলপ ভাবিলেই বুজা যায়। হিন্দুসকলে দোষৰ দণ্ড নিৰূপন কৰিছিল প্ৰায়শ্চিত্ত ব্যৱস্থাৰে আৰু সেই প্ৰায়শ্চিত্তৰ গুৰুত্ব নিৰ্ণয় হৈছিল গৰুৰ মূল্যেৰে; যেনে, দুই ধেনু প্ৰায়চিত্ত, চাৰি ধেনু প্ৰায়শ্চিত্ত ইত্যাদি। গো-দান আছিল এটি পৰম পুণ্যৰ কাম। গো-ধনৰ বাবে কৌৰৱ-পাণ্ডৱৰ যুঁজ, বিশ্বামিত্ৰ-বশিষ্ঠৰ মনোমালিন্য আদিৰ কথা 'মহাভাৰত', পুৰাণ আদি শাস্ত্ৰসমূহে সাক্ষ্য দিয়ে।

এইদৰে গোধনৰ সহায়ত, মানুহে আৰম্ভ কৰিছিল কৃষি! তেতিয়া মাটিৰ অভাৱ সমুলি নাছিল। গতিকে মানুহে এবেলাৰ মাটিতে প্ৰতি বছৰে

খেতি কৰাটো অনুচিত বুলিয়ে ধৰিছিল। সাধাৰণতে ১।২ বা ৩ বছৰৰ মূৰে মূৰে খেতিৰ সকলো মাটিকে দুই-এবছৰৰ কাৰণে পতিত ৰখা হৈছিল। বেছি দিন ধৰি একে ঠাইতে থকা আৰু খেতিবাতি কৰাটো ধৰ্ম্মবিৰুদ্ধ কাম বুলি আনকি আজিৰ দিনতে কছাৰী, মিৰি, মিকিৰ আদি জনজাতীয় লোকসকলে ভাবে। সেইবাবেই তেওঁলোকে গাঁৱত তামোল-পানৰ বাৰী হৈ উঠিলেই—তেওঁলোক উঠি অন্য ঠাইলৈ যাবৰ হ'ল বুলি ধৰি লয়! অকাল মৃত্যু হলেতো কথাই নাই যথাসময়ত হলেও এজন দুজন মানুহ মৰিলেই গাঁওখন সকলোৱে এৰিবৰ হ'ল বুলি তেওঁলোকে ধৰি লয়। এই ধৰণেই হ'ল আমাৰ কৃষিৰ আৰম্ভ

(৩)

গাঁৱক কাছাৰীত বোল, হ'ল দিহ (Dih), হিন্দীত গাঁও বা গ্ৰাম্ (Gao or gram) আৰু সংস্কৃতত গ্ৰাম্। বৈজ্ঞানিক প্ৰণালীৰ জোখমাখ নাছিল যদিও গাঁৱৰ মাটিবোৰ সাধাৰণভাবে এনপ্ৰকাৰে জুখিমাখি লোৱা হৈছিল। মাটিৰ জোখত ব্যৱহাৰ হোৱা বিঘা, কঠা তাহানিৰ সম্ৰাট আকবৰৰ সময়ৰ জোখ। এই বিঘা,কঠাৰ ঠাই ভেদে পৰিমাণৰ তাৰতম্য আছে। চাহজাহানী বিঘা আছিল ⅝ একৰ; অসম বঙ্গাদিত ব্যৱহাৰ হোৱা বিঘা ⅓ একৰ। সেইদৰে কঠাৰো তাৰতম্য আছে। কাছাৰ, শ্ৰীহট্ট, বঙ্গদেশ আৰু অসমৰ বাহিৰৰ অন্য ঠাইবোৰত কুৰি কঠাতহে এক বিঘা হয়। অসমৰ পাঁচ কঠাতে হয়। সেই কাৰণে এবাৰ অসমীয়া কৰ্ম্মচাৰীয়ে অসমীয়া হিচাপে হিচাব কৰি ভগনাযাৰ পুনৰ্বসতিৰ পৰিকল্পনা এটি দাঙি ধৰাত দিল্লীত দিল্লীৰ 'কঠা' মনা কৰ্ম্মচাৰীয়ে ভুল বুজি ষ্টেন্সিলিং কৰি পঠাইছিল। পিছত অসমীয়া 'কঠা'ৰ ভু পাইহে দিল্লী নাৰব হ'ল। এনে বুজাৰ ভুল বহুত ক্ষেত্ৰতে হয় আৰু সেয়ে কেতিয়াবা ব্যক্তি আৰু সমাজৰ জীৱনত শোকাবহ পৰিণতি (Tragedy) ঘটায়। মহাকবি শেক্সপীয়েৰৰ 'অথেলো' নাটৰ ভুলৰ 'ট্ৰেজেডি' বহুতৰে জীৱনৰ অনেক ক্ষেত্ৰত ঘটে। ভুলৰ ৰহস্য সম্বন্ধে সেই কাৰণে অধিক নোকোৱাই ভাল।

বিঘাক আকৌ পঞ্জাবত বোলে 'ঘুমাও'। হালৰ গৰু ঘূৰোৱাৰ পৰাই 'ঘুমাও' শব্দ আহিছে। অসমৰ 'হালিচা' শব্দও 'ঘুমাও' শব্দৰ দৰে জন্ম পোৱা শব্দ। হালৰ লগত দুয়োৰো সম্বন্ধ। এইদৰে গমি চালে পোৱা যাব যে মাটিৰ জোখবোৰৰ হয় হালৰ লগত সম্বন্ধ, নহয় শস্যৰ ওজনৰ

লগত। শব্দবো কঠা, পুৰা, বিঘা আদি আছে—মাটিবো আছে। পিছত মাটিৰ জোখৰ যি 'নল' আহিল সিও এটা বিশেষ জোখৰ নল-খাগৰিৰ পৰা লোৱা। ঠাইভেদে এই মাপবোৰৰ পৰিমাণৰ হ্ৰাস বৃদ্ধি ঘটিল। ই তেনেই স্বাভাৱিক। খেতিৰ প্ৰণালীও তেনেকৈ পৃথক পৃথক হ'ল। অসমীয়া ঝুম খেতিৰ কথাই কোৱা যাওক। পাহাৰৰ দাঁতিত হাবি জঙ্গল চাফা কৰি পুৰি, খন্দি মাটিত যি খেতি কৰা হয় সেয়ে ঝুম খেতি। কোনো কোনো ভাষাবিদ্ পণ্ডিতে কয় 'জু' মানে ওখমাটি, মাও খন্দা অৰ্থাৎ ওখমাটি খান্দি কৰা খেতি। পণ্ডিত সকলৰ মতে এয়ে খেতিৰ প্ৰথম অৱস্থা। অসম আৰু বঙ্গত ইয়াক ঝুম খেতি বোলে, দক্ষিণ ভাৰতত কয় কুম্‌ৰি (Kumri), বৰ্মাত কয় টৌঙ্গা (Taunga); মধ্য প্ৰদেশত কয় দহ্যা (Dahya) ইত্যাদি। মূলতঃ কিন্তু বস্তু একেটাই। একে কৃষ্ণকেই যিদৰে কানু, কৃষ্ণ, কানাই, যাদৱ, যদুনন্দন, মাধৱ, মধুসূদন, মুৰাৰি আদি হাজাৰ নামত জনা যায়, একে টকাকেই হিদৰে অৰ্থ, ৰূপয়া, মোহৰ, গিনি, বেণ্ট, কমিচন তহচিল, ভাট্টা, ভিজিট, তহবিল, গাধন, খাজনা, প্ৰণামী, নোট, টেক্স, যৌতুক, মাচুল, সুদ আদি বিবিধ নামত জনা যায় ঠিক সেইদৰে একে ঝুম খেতিকে নানা ঠাইত নানা নামত জনা যায়। পৰ্ব্বতীয়া অঞ্চলবোৰত বছৰি বছৰি ঠাই সলাই খেতি কৰা হয়। তাৰ উদ্দেশ্য সাৰ জমাই খেতি কৰা। নামনিৰ কুঁহিয়াৰতলী মাটিবো একে কথা। এবাৰ কুঁহিয়াৰ বোৱাৰ পিছত দ্বিতীয়বাৰ তাতে খকুৰা কুঁহিয়াৰ ৰাখি তাৰ পিছত সেই মাটিত খেতি নকৰি তাক চন পেলাই ৰখা হয় উদ্দেশ্য সাৰ সঞ্চয়। কুঁহিয়াৰে মাটিৰ সাৰ বৰকৈ টানি লয়। গতিকে কুঁহিয়াৰৰ খেতি কৰা মাটিক দুই একোবছৰ জিৰণি নিদিলে খেতি ভাল নহয়। এনেকৈয়ে আমাৰ পূৰ্ব্বপুৰুষসকলে খেতিবাতিৰ আসল তত্ত্ববোৰ জানি বুজি কাম কৰিছিল। এইবোৰ জ্ঞান নতুন আইন প্ৰবৰ্ত্তনকাৰীসকলে তেনেই উলাই কৰা উচিত নহয়। সেই দেখিয়ে দূৰ অতীতৰ ১৮৯১ চনতে ভাৰতীয় কৃষি-উন্নয়ন সম্পৰ্কে তদন্ত কৰি ডাঃ এচ. এ ভয়েলকাৰে মন্তব্য দিছিল - "মই ভাৰতৰ যি ঠাইলৈকে গৈছিলোঁ তাতেই কৃষকসকলৰ মাজত খেতি-বাতি সম্বন্ধে যি সতৰ্কতা, পৰিশ্ৰম, অধ্যৱসায় আৰু উদ্ভাৱনী শক্তি দেখিছিলোঁ—তাতকৈ আৰু ভাল একো হব নোৱাৰে বুলিয়ে মোৰ ধাৰণা!"

ভূমি বিভাগৰ আঁতি-গুৰি

ভূমি-বিভাগৰ সৰহখিনি শব্দই আৰবী-ফাৰ্চী ভাষাৰ। তহছিল, তালুক নবাব, খিৰাজ, জ'ৰীপ আদি শব্দবোৰ দেখি আমাৰ ধাৰণা হয়— ভূমি-সম্পৰ্কীয় এই খিতাপ আৰু কামবোৰৰ জন্ম হৈছিল মুছলমান সম্ৰাটসকলৰ দিনত। দৰাচলতে কিন্তু কথা সেইটো নহয়। মোগলসকল ভাৰতলৈ অহাৰ বহুকাল পূৰ্ব্বতে এই বিষয় আৰু বিষয়াসকলৰ জন্ম হৈছিল। নাম আছিল বেলেগ বেলেগ। আনকি শাস্ত্ৰকাৰ মনুৰ দিনতো এইবোৰ আছিল বুলি তত্বজ্ঞ বিদেশী পণ্ডিতসকলেও কৈ গৈছে। বেডেন পৱেলৰ মতে—এইটো খোলাভাৱে কোৱা ভাল যে আমাৰ বৰ্ত্তমান সময়ত যি জিলা, তহছিল (বা তালুক) আৰু গাৱৰ ভূমি সংক্ৰান্ত বিষয়াসকল আছে এওঁলোক যদিও মোগল সম্ৰাটসকলৰ ৰাজত্বকালৰ পৰা পৰম্পৰায় চলি আহিছে তথাচ এই-বোৰ খিতাপ কিন্তু আৰ্য্য হিন্দুসকলৰ দিনৰে সৃষ্টি; আৰু বৰ্ত্তমানেও এনেবোৰ সেই হিন্দু নাম-ধামতেই ভাৰতৰ সৰু সৰু মিত্ৰ ৰাজ্যসমূহত চলি আছে। মনুৰ আইন আৰু অন্যান্য সংস্কৃত গ্ৰন্থতো এইবোৰৰ সূত্ৰ পোৱা যায়।* মনুসংহিতাত আনকি গো-চৰণীয়া পথাৰ বা 'গোপচাৰ' সম্পৰ্কেও কোৱা আছে যে গাওঁবোৰৰ মাজত ঘূৰণীয়া আবেষ্টনীৰ ভিতৰত গৰু চৰিবৰ কাৰণে মুকলি পথাৰ ৰাখিব লাগে। ইয়াৰ ৰক্ষণাবেক্ষণৰ ভাৰ সকলোৰে ওপৰত সমভাৱে ন্যস্ত আছিল। মোগলৰ ৰজাসকলৰ দিনত বিভিন্ন খিতাপ-বোৰে নতুন নাম আৰু ৰূপ লয়, তাৰ আৱশ্যকমতে শাসনৰ একো একোটি অপৰিহাৰ্য্য অঙ্গ হৈ পৰে।

---

* It should be explained that our modern system of district, Tahsil (or Taluk) and village officers is a direct discendant of the Moghul Imperial system and that again was derived from the Old Hindu (Aryan) state organization as it still exists in Native States and as it is traceable in the Laws of Manu aad other Sanskrit writings.

—B. H Baden Powell.

বৃটিছৰ অধীনলৈ ভাৰত যোৱাৰ লগে লগে ভাৰতত অনেক আঞ্চলিক বিষয়া পাতি খাজনা-পাতি তোলাৰ ব্যৱস্থা কৰা হয়। খাজনা তুলিবৰ বাবে আৰু অন্যান্য কৰ-কাটল আদায় কৰিবৰ কাৰণে নিৰ্দ্দিষ্ট কৰি দিয়া ঠাইৰ নাম দিয়া হৈছিল তহছিল অৰ্থাৎ খাজনা-তোলা ঠাই (Place of collection) আৰু বিষয়াজনক বোলা হৈছিল তহছিলদাৰ। তেওঁৰ সহকাৰীজনক বোলা হৈছিল নাইব (Naib) অৰ্থাৎ সহকাৰী বা উপ-তহছিলদাৰ। দোনতে মধ্যপ্ৰদেশতে এই তহছিলদাৰী প্ৰথা ভালকৈ চলিছিল।

মাদ্ৰাজত যদিও বিষয়াজনক তহছিলদাৰ বোলা হৈছিল—তথাপি আঞ্চলিক বিভাগটোৰ নাম দিয়া হৈছিল ‘তালুক’। সেইবাবে কেতিয়াবা কেতিয়াবা তেওঁক তালুকদাৰো বোলা হৈছিল। আকৌ বোম্বাইত বিভাগটোক তালুক বোলা হৈছিল যদিও কৰ্ম্মচাৰীজনক বোলা হৈছিল—মামলতদাৰ (Mamlatdar)। এওঁক সহায়কৰা বিষয়াজনক ‘কাৰকুন’ (Karkun) বোলা হৈছিল। ডাঙৰ তালুক হলে তাক দুই বা ততোধিক বিভাগত ভগাই মামলটদাৰক সহায় কৰা বিষয়া দিয়া হৈছিল আৰু এই বিষয়াসকলক বোলা হৈছিল মহালকৰী (Mahalkari)। এওঁলোক আছিল ঠিক নাইব-তহছিলদাৰৰ দৰে। বঙ্গদেশত তহছিলদাৰৰ ঠাইত কলেক্‌টৰেহে (Collector) চলাইছিল। কিন্তু শ্ৰীহট্ট আৰু চিটাগং আদি ঠাইত তহছিলবো প্ৰথা আছিল। ক্ৰমে ক্ৰমে কলেক্‌টৰৰ তলত সহায় কৰিবলৈ ছাব্‌-ডেপুটী কলেকটৰৰ সৃষ্টি হয়। লগে লগে তহছিলদাৰো আছিল। পিছত তহছিল আৰু তালুক উঠি গৈ বঙ্গদেশ আৰু অসমত অকল ছাব ডেপুটী কলেক্‌টৰেই ৰয় গৈ। এওঁলোকেই আজিৰ দিনৰ সৰ্ব্ব-ব্যাধিৰ সৰ্ব্বটাকৰ দৰে মাৰি-মৰক, উৎসৱ-ব্যসন, দুৰ্ভিক্ষ, ৰাষ্ট্ৰবিপ্লৱ, প্লাবন-অনাটন, ঋণ, পিয়ল, জৰীপ আদিৰ মকৰধ্বজ কৰ্ম্মচাৰী সমাহৰ্ত্তা; আজিকালিৰ নাম উপপ্ৰতি সমাহৰ্ত্তা।

(২)

তেনেহলে দেখা যায় যে ছাব্‌ ডেপুটী কলেক্‌টৰকে আদি কৰি ভূমি-বিষয়াসকলে, মানস-সৰোবৰৰপৰা ওলোৱা চম্পু নদীয়ে ব্ৰহ্মপুত্ৰ হোৱাৰ দৰে দূৰ অতীতৰ মনুৰ যুগতে জন্মি মোগলসম্ৰাটসকলৰ যুগতহে প্ৰকৃত সংস্কাৰ লভিছিল। মোগল সম্ৰাটসকলৰ দিনত দেশখনক অনেক ভাগত ভাগ কৰি

সেই ভাগবোৰক চুবা বোলা হৈছিল আৰু শাসনকৰ্তাক প্ৰতিনিধি (গৱৰ্ণৰ) বা নবাব খিতাপি দিয়া হৈছিল। এই চুবাক আকৌ চৰকাৰ (Sirkars)-ত ভাগ কৰি প্ৰত্যেক চৰকাৰত এজোকন দেৱান আৰু নাজিম নিযুক্ত কৰা হৈছিল। দেৱানী আৰু ৰাজহৰ ভাৰপ্ৰাপ্ত বিষয়াগৰাকীক বোলা হৈছিল 'দেৱান' আৰু ফৌজদাৰীৰ কাৰণে যি বিষয়া আছিল তেওঁকে বোলা হৈছিল 'নাজিম'। স্থানীয় বিভাগক বোলা হৈছিল পৰগনা। তলত দেখুৱাৰ দৰে এই ভাগবোৰ দেখুৱাব পাৰি :—

দেশ
|
চুবা (ভাৰপ্ৰাপ্ত বিষয়া 'নবাব' বা প্ৰতিনিধি)
|
চৰকাৰ (" " দেৱান আৰু নাজিম)

পিছত কিন্তু চুবাৰ অনেক শাসনকৰ্তাই বিশেষকৈ হিন্দু শাসনকৰ্তাসকলে মাৰাঠাসকলৰ আন্দোলনত স্বাধীনতা ঘোষণা কৰিছিল। সেই সময়ত হিন্দু দেশ বা চুবাবোৰত শাসন আৰু ৰাজহৰ বিষয়াজনক বোলা হৈছিল 'দেশাই' আৰু তেওঁৰ হিচাবৰক্ষক (Accountant) জনক বোলা হৈছিল 'দেশপাণ্ড্য' (Despandya)।

মোগলসকলৰ তলত পৰগনাই পৰগনাই মাটিবাৰীৰ আইন-কানুনবোৰ মানুহক বুজাই দিবৰ কাৰণে একোজন কানুনগো ৰখা হৈছিল। কানুন মানে নিয়ম, গো মানে ব্যাখ্যাকৰোঁতা (Kanungo or Qanungo ; Kanun=Canon or rule ; go=speaker) সেই সময়ত আমিল (Amil) নামৰ পদবীধাৰী বিষয়াই খাজানা তুলিছিল আৰু কানুনগোই আইন কানুন ব্যাখ্যা কৰিছিল। সেইবাবেই আজিও শ্ৰীহট্ট আৰু কাছাৰত কানুনগোৰ অন্য নাম কানুনজ্ঞ মানে আইনজ্ঞ (উকীল)।

তহছিলদাৰৰ তলত আছিল গাঁৱৰ বিষয়াসকল। তেওঁৰ তলত আজি-কালিৰ দৰেই মোগল সম্ৰাটসকলৰ দিনতো কাননগো আছিল। একোটা তহছিলত তিনিটামানকৈ পৰগনা আছিল আৰু একোটা পৰগনাত একোজনকৈ কাননগো আছিল। আজিকালিও সেইদৰেই একোটা ছাব-ডেপুটী চাৰ্কোলক দুটা তিনিটা বিভাগত ভগাই একো একোটা ছাব-ছাৰ্কোল কৰা

হয় আৰু প্ৰত্যেক চাব-চাৰ্কোলৰ যাৱতীয় ভূমিসংক্ৰান্ত তদন্ত পোনতে তাৰ কানুনগোই কৰে। সেইফালেদি আজিৰ বিভাগ আৰু বিষয়াবোৰক পূৰণি মোগলসকলৰ শাসন প্ৰণালীৰেই ভগ্নাৱশেষ বা প্ৰতিধ্বনি বুলিব পাৰি।

উপৰুক্ত কথাবোৰ বৰ্ত্তমান কালৰ অসম আৰু অতীত ভাৰতবো অসমত বাহিৰে অন্যান্য প্ৰদেশবোৰত খাটে। আহোম যুগৰ অসমৰ ৰাজহ আৰু ভূমিবিভাগৰ কামবোৰ কিদৰে পৰিচালিত হৈছিল পিছত বৰ্ণোৱা হব। আহোমৰ জমিসংক্ৰান্ত শাসন ভাৰতৰ অন্যান্য প্ৰদেশৰ শাসনতকৈ নানা-প্ৰকাৰে পৃথক ধৰণৰ আছিল।

—x—

আকবৰী ভূমি-নীতি

পুৰণি ভাৰতৰ জমি-জমা আৰু মাটি-পিয়ল সম্পৰ্কীয় কথা ওলালেই সম্ৰাট আকবৰৰ নাম আহি পৰে। আজিও কোনো লোকে দীঘল দীঘলকৈ খোজ দি গলে কোৱা হয়—এওঁ টোডৰমলৰ টাঁৰ মাৰিছে। টোডৰমল আছিল মাটি বিভাগত সম্ৰাট আকবৰৰ সোঁহাত স্বৰূপ বিষয়া। টোডৰমলেই পোন পহিলতে আকবৰৰ ৰাজ্যৰ আবাদী জমিবোৰৰ জ'ৰীপ আৰম্ভ কৰে। এই কাম মোটামুটিভাৱে কৰা হৈছিল যদিও ইয়ে প্ৰথমে সম্ৰাট আকবৰৰ ৰাজ্যৰ জমিৰ লিপিবদ্ধ আঙ্কিক পৰিমাণ এটা দাঙি ধৰে। অন্য কথাত কবলৈ গলে সম্ৰাটৰ ৰাজ্যৰ জমি সম্পৰ্কীয় সুস্পষ্ট ৰূপটো দাঙি ধৰে টোডৰমলৰ জৰীপে।

এই জ'ৰীপ হোৱাৰ পিছতো ৰাজ্যৰ প্ৰজাই আগৰ দৰে শস্যেৰে খাজনা শোধাই আছিল। উৎপন্নৰ এক তৃতীয়াংশ শস্য আছিল ভূমিৰ নিৰ্দ্ধাৰিত খাজনা। সম্ৰাট আকবৰে এই শস্য-খাজনাক ৰূপ-খাজনালৈ পৰিবৰ্ত্তন কৰিবলৈ মনস্থ কৰিলত প্ৰশ্ন উঠিল—এই ৰূপ-খাজনা নিৰ্দ্ধাৰিত হব কি নীতিত? কাৰণ শস্য সদায় একেডোখৰ মাটিত একে সমানে নহয়। শস্য কমিলে খাজনাও কমে, শস্য বাঢ়িলে ৰাজ-কৰো বাঢে। ৰূপ-খাজানাত সেইটো ধৰা যায় কেনেকৈ? বহুত গৱেষণাৰ অন্তত ইয়াকে স্থিৰ কৰা হ'ল যে বিগত উনৈশ বছৰৰ শস্যোৎপন্নৰ গড় উলিয়াই লৈ তাৰে এক তৃতীয়াংশৰ মূল্যকেহে সেই মাটিৰ ৰাজহ-ৰূপে নিৰ্দ্ধাৰিত কৰা উচিত হব। কিয়নে পৰীক্ষাত ধৰা পৰিল যে উনৈশ বছৰৰ উৎপন্নৰ গড় উলিয়ালে ভাল-বেয়া, বেছি-কম আদি সকলো ৰকমৰ উৎপন্নৰ এটা সম্যক ৰূপ ধৰা পৰে। উনৈশ বছৰৰ ভিতৰত একোটা চক্ৰ ধৰি লৈ পৰীক্ষা কৰি চালে প্ৰকৃতিৰ দান-দুৰ্য্যোগ আৰু উৎপন্নৰ হ্ৰাস-প্ৰাচুৰ্য্য আদি তাতে প্ৰায় ঘূৰি থকা যেন অনুমান হয়। গতিকে উনৈশ বছৰৰ উৎপন্নৰ গড়ৰ এক তৃতী-

-যাংশৰ মূল্য হ'ল মাটিৰ খাজনা। প্ৰায় ১৫৭০ খ্ৰীষ্টাব্দৰপৰা এই কাম আৰম্ভ কৰি [illegible]। এই দৰে শাসনৰ [illegible] যে [illegible], [illegible], [illegible], [illegible] [illegible] অস্পষ্ট [illegible] চিকাৰিৰ চেটেলমেণ্টৰ এটেষ্টেচনত কৰাৰ দৰে।

আকবৰৰ ভূমিব্যৱস্থা [illegible] [illegible]। দহবছৰৰ মূৰে মূৰে [illegible] ভিত্তিত [illegible] বিবেচনীয়া বন্দবস্তিৰ দৰে [illegible] [illegible] হৈছিল। তাকে সত্বেও অনেক নতুন আবাদী মাটি [illegible] পৰিছিল।

আচৰিত কথা যে আনবোৰ ভাগৰ অসমত থকাৰ দৰে আকবৰৰ শাসনত একেধৰণৰ [illegible] আছিল। অর্থাৎ চাপৰি মাটিৰ দৰে অস্থায়ী খেতি থকা মাটিবোৰৰ এখন [illegible] বন্দবস্তও ব্যৱস্থা হৈছিল।

আগৰ স্বাধীন ভাৰতৰ [illegible] দিয়াৰ দৰে এশ এটা টেক্স মানুহে তেতিয়া দিব লগা হৈছিল, [illegible], চৌথা আদি কিছুমান টেক্স আছিল বিবোৰে বাগতক [illegible] দিছিল। মাৰাঠা প্ৰভুক চৌথা বা উৎপন্নৰ এক চতুৰ্থাংশ কৰ দি অনেক ঠাইত মাৰাঠাসকলৰ লুটপাটৰপৰা প্ৰজা ৰক্ষা পৰিছিল। বঙ্গদেশত চৌধুৰী শব্দৰ পৰাই চৌধাৰী শব্দৰ উৎপত্তি বুলি আজিও জনা যায়।

সম্ৰাট আকবৰে দেখিলে যে খাজনা আদায়ৰ কাৰণে স্থানীয় লোককেই মুখিয়াল পাতি দি কিছু মুনফা দিলে কাম সহজে হাচিল হয়। গতিকে তেওঁ জমিদাৰ, তালুকদাৰ আদি খিতাপৰ সৃষ্টি কৰিলে। জমিৰ হিচাপ ৰাখি খাজনা আদায় কৰে বা ৰক্ষকৰ তুল্য থাকে বুলিয়েই তেওঁ আছিল জমিদাৰ। জমিদাৰসকল কোনো কোনো ঠাইত 'ৰাজা' আৰু অন্য কোনো কোনো ঠাইত তালুকদাৰ নামেৰেও অভিহিত হৈছিল। কিন্তু ৰাজাই বোলক বা তালুকদাৰেই বোলক অথবা জমিদাৰেই বোলক, তেওলোক খাজনাৰহে গৰাকী আছিল, জমিৰ মালিকী স্বত্ব তেওঁলোকৰ প্ৰথমে সমূলি নাছিল। এই কথাটো অলপ মন কৰিবলগীয়া। কিয়নো, এই জমিদাৰসকলেই পিছৰ

যুগত [illegible] সম্পর্ক [illegible] হইবে। অচল.ত জমিদার অছিল মাটি [illegible] (জমি —[illegible], দর=[illegible]) *

ক্রমা[illegible] খজন [illegible] কর, [illegible] তত্ত্বাবধান [illegible] চলতে বল করি [illegible] করি বহিল। এইদরে [illegible] অধিকার বিষয় [illegible] চনদ (Warrant) [illegible] নির্দ্ধারিত করি দিয় [illegible] তেওলে[illegible] এই চনদ [illegible] আছিল তেও- লেলকে [illegible] বাড- ভর [illegible] এই [illegible] উঠা খাজনা [illegible]

[illegible] এই সময় জমিদার [illegible] কানন.গ [illegible] এই কাননগ [illegible] সেই সময়ত প্রজার [illegible] কিয় মাটির [illegible] একভাবেই হর্ত্ত [illegible] বুলিলে দহ

* N[illegible] right of ownership in the [illegible] the Raja or [illegible] was [illegible] the state right in the land, [illegible] dependant (Arabic Ta'—[illegible]) — Baden Powell.

* At [illegible] reckoned among the state right, not only the administration of justice, the command of the military force etc. but (most chiefly) the right to the land [illegible] its revenue and other perquisites which they spoke [illegible] right. Baden Powell.

পঁচি বুলিলে পঁচি হৈছিল। আজিৰ দিনৰ কৰ কাটলৰ বিষয়াক ধনী শ্ৰেণীয়ে যিদৰে জ্ঞান কৰে তাহানি কাননগোক প্ৰজা আৰু জমিদাৰসকলে সেইদৰে দেখিছিল। কথাতে কয়—বিললৈ বাঘ পেলাওঁ ডৰে। ধনঞ্জয় নামৰ জোৰাইক যেনো শহুৰেকে পিলৰ দ্বাৰাহে উলিয়াই পঠাব পাৰিছিল—আৰু সেয়েহে ভজিত মানুহে কয়—'প্ৰহাৰেন ধনঞ্জয়ঃ'। মানুহে ভয়ে ভজে আৰু ভক্তিত ভজে। ভক্তিতকৈ মানুহে বেছিকৈ ভজে। লক্ষ্মীপূজা বাৰু ক'ত কিমান আড়ম্বৰে হয়? কিন্তু কালীপূজা আৰু দুৰ্গাপূজা হলে? কাৰণ লক্ষ্মী শান্ত দেৱী, সেই কাৰণে অন্যায় নকৰে। কালী বা দুৰ্গাই কিন্তু কিবা ধৰি কেতিয়াবা বলিওৰাই প্ৰাণ কাঢ়ি নিব পাৰে; আৰু তেওঁলোক কিন্তু ফলদায়িনী। গতিকে কালীপূজা যথাসাধ্য আড়ম্বৰেৰে পতা হয়। ঠিক সেই নীতিতে ধনবান সকলেও কৰ-কাটলৰ বিষয়াক শাক্তসকলে দেৱীপূজা কৰা দিয়ে।

সেই কাৰণে, সম্ৰাট আকবৰৰ দিনত গাঁওবুঢ়াৰ খানকোৰ যি সম্মানৰ ভাগী আছিল, সেই সম্মান জমিদাৰৰো নাছিল। কাননগো কোনো ঠাইলৈ গলে তেওঁৰ আগত জমিদাৰো সেই সম্মান দেখুৱাইছিল। কাৰণ তাকে নকৰিলে কাননগোৱে কলমৰ হিচাপ পৰীক্ষা কৰিবৰ ইচ্ছা কৰিলে জমিদাৰক 'তিৰী-গিৰি সৰিয়হৰ ফুল দেখুৱাব' পাৰিছিল। আজিৰ দিনত অনেক নেতাই সম্ভাৱনীয় কৰ্মচাৰীৰ ওচৰ চপাৰ কোনো জনহিতকৰ কামত জমিদাৰবৰ্গৰ ধন আদায় কৰিব লাগিলে সেইদৰেই, বাইজে ওচৰ চাপিছিল কাননগোক। কাননগোৱে যি কৈছিল জমিদাৰে তাকে বাহুবৰা কামত দান কৰিছিল। ইংৰাজসকল অহাৰ পিছত নকৈ যোৱা জমিদাৰসকলৰ ক্ষমতা আৰু কৰ্তা। কিন্তু অন্য ৰকমৰ আছিল। সেই বিষয়ে পিছত আলচ কৰা হব। আজিৰ কাননগো কিন্তু এই কাননগোৰে নাতিপুতি।

—

পুৰণি কামৰূপ ৰাজ্য,
তাৰ শাসন-প্ৰণালী আৰু ভূমি-নীতি

পুৰণি কামৰূপ ৰাজ্য। বুলিলে পুৰাণ-প্ৰসিদ্ধ প্ৰাগজ্যোতিষপুৰ আৰু প্ৰাচীন কালৰ কামৰূপ ৰাজ্য বুজা যায়। ৰামায়ণ আৰু মহাভাৰত এই দুখন মহাকাব্যত অসম দেশৰ বিষয়ে প্ৰাগজ্যোতিষপুৰ নামেৰেহে উল্লেখ কৰা আছে। ৰামায়ণত সুগ্ৰীৱে যেতিয়া সীতাৰ অন্বেষণত বানৰবোৰক চাৰিও ফালে পঠিয়াইছিল তেতিয়া তেওঁ প্ৰাগজ্যোতিষ ৰাজ্যৰ সুশোভন গিৰি-গহ্বৰ সম্পৰ্কে নিখুঁত এটা সুন্দৰ বৰ্ণনা দিছিল। * (১) মহাভাৰতৰো সভা, উদ্যোগ, বন, দ্ৰোণ, অশ্বমেধ আদি বিভিন্ন পৰ্বৰ শ্লোকত প্ৰাগ্‌জ্যোতিষপুৰৰ বৰ্ণনা বাককেয়ে আছে।

মহাকবি কালিদাসে ৰঘুবংশত প্ৰাগ্‌জ্যোতিষ আৰু কামৰূপ একেখন ৰাজ্যৰে দুটা পৃথক নাম বুলি স্পষ্টকৈয়ে কৈছে। (২) মাৰ্কণ্ডেয় পুৰাণ, কালিকা পুৰাণ, যোগিনীতন্ত্ৰ, হৰগৌৰী সম্বাদ আদি শাস্ত্ৰকাৰসকলেও সেই কথাকেই বাৰে বাৰে দোহাৰিছে। * (৩) মুঠ কথা এই যে অসমৰ প্ৰাচীন নাম প্ৰাগ্‌-

---

* (১) তত্ৰ প্ৰাগ্‌জ্যোতিষং নাম জাতৰূপময়ং পুৰম্
তস্মিন্ বসতি দুষ্টাত্মা নৰকো নাম দানৱঃ ॥
তত্ৰ সানুষু ৰম্যেষু বিশালাসু গুহাসুচ।
মাৰ্গণঃ সহ বৈদেহ্যা মাগিতব্যস্ততস্ততঃ ॥ কিষ্কিন্ধা কাণ্ড ॥ ৪২

* (২) চকম্পে তীৰ্ণলৌহিত্যে তস্মিন্ প্ৰাগজ্যোতিষেশ্বৰঃ।
তমীশঃ কামৰূপাণামত্যাখণ্ডল বিক্ৰমম্ ॥
ৰঘুবংশ-৪ৰ্থ সৰ্গ ৮১।৮৪

* (৩) নেপালস্য কাঞ্চনাদ্ৰিং ব্ৰহ্মপুত্ৰস্য সঙ্গমম্
কৰতোয়াং সমাৰভ্য যাবদ্ দিক্‌কৰবাসিনীম্ ॥ যোগিনী তন্ত্ৰ ॥
কৰ তোয়াং সমাসাদ্য যাবদ্দিকৰবাহিনীম্।
কামৰূপেতিং তং লোকাঃ গায়ন্তি গিৰিনন্দিনি ॥
হৰগৌৰী সম্বাদ।

-জ্যোতিষপুৰ আৰু সেই প্ৰাগজ্যোতিষপুৰেই ক্ৰমাৎ কামৰূপ আৰু পিছত আহোম ৰজাসকলৰ দিনত অসম নাম গ্ৰহণ কৰিছিল।

কালৰ সোঁতত নামৰ পৰিবৰ্ত্তন হৈছিল যদিও পুৰণি কামৰূপ আৰু প্ৰাগজ্যোতিষপুৰ নামৰ যিখনি অসম ৰাজ্য আছিল সি আছিল আজিৰ অসমতকৈ অনেক গুণে বৃহৎ। ইয়াৰ পশ্চিম সীমাই উত্তৰ বঙ্গ আৰু উত্তৰ বিহাৰৰো অনেক ঠাই অন্তৰ্ভুক্ত কৰিছিল। কোচবিহাৰ, ৰংপুৰ, জলপাই-গুৰি, দিনাজপুৰ, আদি ঠাইবোৰ পুৰণি কামৰূপ ৰাজ্যৰ অংশবিশেষ আছিল। * (২)

সেই যুগত কামৰূপ ৰাজ্যৰ ৰজাৰ যশ, মান আৰু গৌৰৱ চাৰিওপিনে বৈ-বৈ পৰিছিল। আন নলাগে মহাকবি কালিদাসেও ৰঘুবংশত ইন্দুমতীৰ স্বয়ম্বৰৰ কথা বৰ্ণনা কৰি উঠি কৈছিল যে ইন্দুমতীৰ বিয়াৰ পিছত কুমাৰ অজে কন্যাৰ ঘৰলৈ আহোঁতে কামৰূপেশ্বৰৰ হাতত ধৰি হে হাতীৰ পিঠিৰ পৰা নামিছিল। হৰ্ষবৰ্দ্ধনৰ দৰে সম্ৰাটেও কামৰূপৰ ৰজা ভাস্কৰবৰ্ম্মাক ৰাজন্য-বৰ্গৰ আগশাৰীতহে বহিবলৈ দিছিল। "অথচ ৰামৰাজ্যৰ পৰা আৰম্ভ কৰি মোগল সাম্ৰাজ্যলৈকে কেতিয়াও ভাৰতীয় সাম্ৰাজ্যৰ ভিতৰত অসম কোনো দিন অন্তৰ্ভুক্ত হোৱা নাছিল।" *

প্ৰাগজ্যোতিষপুৰ নামৰ ব্যাখ্যা দশম শতিকাত ৰচিত হোৱা 'কালিকা পুৰাণে' এইদৰে দিছে যে ব্ৰহ্মাই হেনো আদিতে ইয়াতেই স্থিত হৈ জ্যোতিষ বা নক্ষত্ৰ সৃষ্টি কৰিছিল। সেই কাৰণেই ইয়াৰ নাম হ'ল প্ৰাগজ্যোতিষপুৰ; অৰ্থাৎ প্ৰাক্=পূৰ্ব্ব; জ্যোতিষ=নক্ষত্ৰ বা তৰা; পুৰ=থকা ঠাই। গেইট চাহাবৰ মতে প্ৰাক্ মানে পূৰ্ব্বদিশ বা পূৰ্ব্বৰ, জ্যোতিষ মানে গ্ৰহ-তৰা-নক্ষত্ৰাদি উজ্জ্বল পদাৰ্থবোৰ। গতিকে প্ৰাগজ্যোতিষপুৰ মানে পূবদিশৰ

---

* (২ Ancient Kamrupa besides the modern districts of Assam embraced the whole of North Bengal including Cooch Behar Rangpur, Jalpaiguri and Dinajpur, Its permanent western boundary is said to have been the river Kartoya in North Bengal. —"Assameuese Literature" P.E.N Series by Dr. B. K. Baua.

* 'পুৰণি অসমৰ ধৰ্ম্মধাৰা'— ড° বাণীকান্ত কাকতি

জ্যোতিষ চৰ্চ্চাৰ কেন্দ্ৰস্থল। পণ্ডিত সনকল্ল বৰুৱাদেৱেও গেইটৰ এই কথা সমৰ্থন কৰি লয় যে নখ চল পৰ্ব্বত শ্ৰেণীৰ ওপৰত অৱস্থিত নৱগ্ৰহ দেৱালয়ে তাৰেই সাক্ষ্য দিব লাগিছে।

'ভাগৱত পুৰাণত' প্ৰাগজ্যোতিষক দুৰ্গ, অসুৰৰ দুৰ্গ, পুৰী, পতন আৰু বতাহৰ নাম [illegible] [illegible]। [illegible] শতিকাৰ [illegible] ৰাজশেখৰে তেওঁৰ বিখ্যাত গ্ৰন্থ 'কাব্যমীমাংসাতে' প্ৰাগজ্যোতিষ এখন দেশ আৰু কামৰূপ এখন পৰ্ব্বত বুলি [illegible] [illegible] শব্দটো অনেক অনাৰ্য্য শব্দৰ সমষ্টি [illegible] অৰ্থ [illegible] আৰু [illegible] পৰ্ব্বত-মালা। (১)

'কালিকা পুৰাণৰ মতে [illegible] [illegible] [illegible] পুনঃ তাতে [illegible] পাইছিল কাৰণেহে [illegible] নম হল। এই [illegible] সকলো লোকে জানে। (২)

[illegible] মতে কামৰূপ শব্দটোও তেওঁ অনাৰ্য্য শব্দৰ সমষ্টি, অৰ্থ কামদ [illegible] [illegible] [illegible]। (৩)

অসম শব্দৰ [illegible] অৰ্থ [illegible] পোৱা যায়, যেনে— (১) [illegible] [illegible] সমান [illegible] সেই কাৰণে অসম, (২) [illegible] সকল [illegible] [illegible] অৰ্থাৎ অসম) [illegible] [illegible] স্থানী। লাকে অসম বুলিছিল [illegible] [illegible] অহোমৰ [illegible] [illegible] 'অসম' নামে পৰিচিত [illegible] [illegible] (৩) [illegible] ([illegible]) জাতীয় আহোমে আহি অধিকাৰ কৰি [illegible] [illegible] তেওঁলোকৰ নাম অনুসৰি 'চান' 'আচান' 'অসম' বুলিছিল। [illegible] কতিৰ মতেও অহোম [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] লগতে অপৰাজিত বা অসম

---

(১) [illegible] = পৰ্ব্বত। জ্যো বা জুৰ = [illegible]। তিক বা তিছ = [illegible]। পাগ ব জ্যো তিছ।

(২) শম্ভুনেত্ৰাগ্নিনিৰ্দগ্ধঃ কামঃ শম্ভোৰনুগ্ৰহাৎ।
তত্ৰ ৰূপং যতঃ প্ৰাপ কামৰূপং ততোঽভবৎ॥
কালিকা পুৰাণ [illegible]

(৩) কামৰূ+প = কামৰূ নামক দেৱতাৰ পৰ্ব্বত (চাওতাল)

বুজাবৰ নিমিত্তে তাৰ আগত অসমীয়া উপসৰ্গ 'অ' যোগ দি 'আসাম' কৰা হ'ল। আচামকেই অসমো বোলা হয়।

আহোমসকলৰ শাসনৰ সময়ৰ পৰা অসমৰ লিখিত ইতিহাস পোৱা যায়। তাৰ আগৰ অসমৰ অৰ্থাৎ প্ৰাগ্‌জ্যোতিষপুৰ আৰু পুৰণি কামৰূপৰ ইতিহাস তাম্ৰলিপি, শিলালিপি আদিতে ঘাইকৈ নিবদ্ধ আছে। সেইবোৰকেই অৱলম্বন কৰি সেই সময়ৰ শাসন-প্ৰণালী আৰু ভূমিনীতি সম্বন্ধে আলচ কৰিব পাৰি।

(২)

খ্ৰীষ্টীয় ৪ৰ্থ শতিকাৰ পৰা খ্ৰীষ্টীয় দ্বাদশ শতিকালৈ এইছোৱা কাল অৰ্থাৎ ৰজা পুষ্যবৰ্মণৰ পৰা [illegible] লকে এইছোৱা কালৰ কামৰূপৰ বুৰঞ্জী অনিশ্চিত হৰ-ৰ আৰু তাম্ৰলিপি, শিলালিপি পুৰণি ধৰ্মগ্ৰন্থাদিয়েই ইয়াৰ মুখ্য অৱলম্বন [illegible] পুৰাণৰ ৰাজনীতি অধ্যায়ৰ পৰা [illegible] যায়।

[illegible] ৰাজনৈতিক ক্ষেত্ৰত এক [illegible] সৰ্ব্বসৰ্ব্বা। [illegible] কিন্তু ক্ষত্ৰিয়বা ৰজাৰ [illegible] পুত্ৰ [illegible] অপুত্ৰক হলে [illegible] বংশৰ বা সেই বংশৰ [illegible] ৰাজপদত অভিষিক্ত কৰা হৈছিল। তাৰ উদাহৰণ স্বৰূপে নৱম শতিকাৰ [illegible] বৰ্ম্মণৰ [illegible] আছে যে বল-বৰ্ম্মণ [illegible] আৰু [illegible] পুত্ৰেক দুটা আছিল। [illegible] সিংহাসন [illegible] দিয়া হৈছিল। সপ্তম শতিকাৰ শালস্তম্ভ ৰজাৰো বংশ অপুত্ৰক হোৱাত [illegible] সেনাপতি আৰু প্ৰজা সকলে মিলি ব্ৰহ্মপালক ৰজা নিৰ্ব্বাচন কৰিছিল। এই কথা ৰত্নপালৰ বৰগাঁও ভূমিদান ফলিত স্পষ্টকৈ উল্লেখ কৰা আছে। সাধাৰণতে ৰাজ্যৰ মুখিয়াল কৰ্ম্মচাৰী আৰু মুখ্য লোকসকলে মিলি সৰ্ব্বসম্মতিক্ৰমে এই কাম কৰিছিল।

ৰাজসিংহাসনত আৰোহণ কৰা উৎসৱক অভিষেক বোলা হৈছিল। অভিষেকৰ দিনটো ধৰ্ম্মৰ দিন। সেই পুণ্য দিনত ৰজাৰ শিৰত পবিত্ৰ তীৰ্থৰ পৰা ৰূপৰ পাত্ৰত আহৰণ কৰা জল বিধিব্যৱস্থাৰে সিঞ্চন কৰা হৈছিল। তাৰ পাছত ৰজাই পূৰ্ণিমাৰ চন্দ্ৰৰ দৰে উজ্জল শুভ্ৰ ছত্ৰৰ তলত সিংহাসনত আৰোহণ

কৰিছিল। কামৰূপৰ ৰজাৰ এই ছত্ৰৰ নাম আছিল বৰুণচ্ছত্ৰ। শ্ৰীকৃষ্ণই হেনো নিজ হাতে এই বৰুণচ্ছত্ৰ ভগদত্তক পোনতে দিছিল। * (১) অভিষেক হৈ যোৱাৰ পিছত ৰজাসকলে কেতিয়াবা পৃথক নামো গ্ৰহণ কৰিছিল। হৰ্ষচৰিতৰ মতে কুমাৰ ভাস্কৰ বৰ্মাৰেই আগৰ নাম আছিল ভাস্কৰদ্যুতি। ৰূপ-গুণ-সাহস-বিক্ৰম শৌৰ্য্য-পাণ্ডিত্য সকলো দিনেদি ৰজা হব লাগিছিল জাকত-জিলিকা।

সেই যুগত ধৰ্ম্মই আছিল জীৱনৰ সকলো কাৰ্য্য-ক্ষেত্ৰৰ মূল বিধি স্বৰূপ। ৰজা নিজে পৰম ধাৰ্ম্মিক হব লাগিছিল, আৰু প্ৰজাপালনতো তেওঁ যাতে ধৰ্ম্ম-নীতিৰপৰা বিচলিত নহয় তাৰ বাবে যত্ন লোৱা হৈছিল। ব্ৰাহ্মণ-সকলে শাস্ত্ৰ-নীতি ৰজাক ব্যাখ্যা কৰি শুনাইছিল আৰু সেইবাবেই তেওঁলোক সেই যুগৰ বিধি-স্মাৰক বিষয়া (Legal Remembrancer) আছিল। সমাজত ব্ৰাহ্মণৰ সন্মান অতি উচ্চ আছিল আৰু আনকি গুৰুতৰ অপৰাধৰো কিছুমান বিশেষ বিশেষ দণ্ড তেওঁলোকৰ ক্ষেত্ৰত অপ্ৰযোজ্য আছিল। উদাহৰণ স্বৰূপে ব্ৰাহ্মণক কোনো কাৰণতে প্ৰাণদণ্ড নহৈছিল।

ৰজাৰ ঘাই বিষয়াসকলৰ ভিতৰত সামন্ত, যুৱৰাজ, মহাসেনাপতি আৰু অমাত্যবৰ্গই আছিল মুখ্য কৰ্ম্মচাৰী। তলতীয়া ৰজাসকলক সামন্ত বোলা হৈছিল। * সামন্ত ৰজাসকলৰ ভিতৰত মুখ্যজনে মহাসামন্ত উপাধি পাইছিল। ৰজাৰ জ্যেষ্ঠ পুত্ৰ যুৱৰাজ নামে অভিহিত হৈছিল; কাৰণ ৰজাৰ অবিহনে তেৱেঁই আছিল ৰজা।

ৰজাই তেওঁৰ সচিবসকলৰ লগত ৰাজকাৰ্য্যৰ জটিল সমস্যাবোৰ আলচ কৰিহে সিদ্ধান্ত গ্ৰহণ কৰিছিল। হিউয়েন চাঙৰ জীৱনীত আছে যে যেতিয়া ভাস্কৰ বৰ্মাই সচিবসকল-সমন্বিতে হৰ্ষবৰ্দ্ধনক গঙ্গাৰ পাৰত লগ ধৰিবলৈ গৈছিল তেতিয়া তেওঁ সচিবসকলৰ লগত বহি আগতে কথাবোৰ নিজৰ ভিতৰত আলচ কৰি লৈছিল। মন্ত্ৰী সচিব আৰু অমাত্য—এই তিনিওটা

---

* (১) কামৰূপ শাসনাৱলী—ভূমিকা দ্ৰষ্টব্য।

* Among the officers of the central administration the most important were the Samantas, Yuvarajas Mahasenapati and the Amatyas.

—Dr. B K, Barua (A Cultural History of Assam)

শব্দই আছি একে অৰ্থ বুজালেও সেই যুগত প্ৰত্যেকৰে দায়িত্ব পৃথক আছিল। মন্ত্ৰীয়ে ৰজাক শান্তিৰক্ষা, দুৰ্নীতি-নিবাৰণ, কাজিয়া-পেচালৰ আপোচ আৰু আৱশ্যকমতে সেনা-নিয়োগ সম্পৰ্কে উপদেশ দিব লাগিছিল। অমাত্যৰ কাম আছিল—নগৰ, গাঁও, চুবুৰি আদিত থকা খেতিৰ মাটি সম্পৰ্কে আৰু খেতিৰ উপযোগী পতিত মাটি, খাজনা, কৰ আদিৰ বিষয়ে ৰজাক বা-বতৰা যোগোৱা আৰু দিহা-ভৰসা দিয়া। আকৌ অমাত্যসকলৰ ঘাই কৰ্ত্তব্য আছিল ৰাজহ তোলা আৰু ৰাজহসম্পৰ্কে ৰজাক সকলোপ্ৰকাৰ পৰামৰ্শ দিয়া। সচিবৰ কাম আছিল ৰাজভঁৰালবোৰ পৰীক্ষা কৰি সঞ্চিত সামগ্ৰী আৰু অৰ্থবল সম্বন্ধে ৰজাক অৱগত ৰখা। এইবোৰ দায়িত্ব সাধাৰণতে পুৰুষানুক্ৰমে চলিছিল আৰু বিজ্ঞ ব্ৰাহ্মণসকলেই এনেবোৰ কৰ্ত্তব্যত নিযুক্ত আছিল।• ৰজাসকলে দূত-প্ৰেৰণৰ দ্বাৰা সততে অন্য ৰজাৰ লগত প্ৰীতি আৰু মিত্ৰতা স্থাপন কৰিছিল।

ৰজাৰ ৰাজ্যক সাধাৰণতে দেশ, ৰাজ্য বা মণ্ডল বোলা হৈছিল। দেশৰ সৰ্ব্ববৃহৎ অংশটোক বোলা হৈছিল ভুক্তি (প্ৰদেশ)। তাৰ তলতে তাতোকৈ কিঞ্চিৎ নামনাচ বিভাগ একোটাক বোলা হৈছিল—'বিষয়' (জিলা)। বহুত গাঁৱৰ সমষ্টিত বিষয় গঢ লৈ উঠিছিল। সেই যুগত দেশ বুজাবলৈ 'মণ্ডল' শব্দৰ প্ৰচুৰ প্ৰযোগ আছিল। বৈদ্যদেৱৰ কমৌলি ফলিত আনকি কামৰূপ ৰাজ্যৰ কথাও কামৰূপ মণ্ডল বুলিহে উল্লেখ কৰা আছে।

বিষয়ৰ শাসন-কৰ্ত্তাক বিষয়-পতি (জিলাধিপতি) বোলা হৈছিল। তেওঁৰ অফিচ বা বিচাৰ-চ'ৰাক বোলা হৈছিল অধিকৰণ ; আৰু অধিকৰণ থকা ঠাইক বোলা হৈছিল অধিষ্ঠান। আজিকালিৰ জিলাধিপতিৰ তলত অনেক কৰ্ম্মচাৰী থকাৰ দৰে তেতিয়াও বিষয়পতিৰ তলত বহুত কৰ্ম্মচাৰী আছিল ; যেনে—ন্যায়াধিকৰণিক, ব্যৱহাৰিক, সীমাপ্ৰদাতা, কায়স্থ, নায়ক, কোষ্ঠাগাৰিক, উপৰিক, উৎখিভয়িত, লেখক, শাসয়িতৃ, সেক্যকাৰ ইত্যাদি।

তেতিয়া বিচাৰ বিভাগ, শাসনবিভাগ, দেৱানী বিভাগ, সৈন্য বিভাগ, আদি অনেক বিভাগৰ দায়িত্ব কেতিয়াবা কেতিয়াবা একোজন লোকৰ ওপৰতে

• The Kamauli Grant indicates that the offices of ministers were hereditary and were held by Brahmans—Dr. B. K. Barua (A Cultural History of Assam).

ন্যস্ত আছিল। অৱশ্যে বিভাগ অনুসাৰে কৰ্মচাৰী প্ৰায়ে পৃথক থকাই নিয়ম আছিল। উদাহৰণ স্বৰূপে পোৱা যায় যে আজিৰ জিলাধিপতি বা উপায়ুক্তৰ দৰে তেতিয়াৰ বিষয়পতি নিজে ৰাজহ বিভাগৰো অধিকাৰী আছিল। গাঁৱৰ মুখিয়ালজনক সাধাৰণতে নায়ক বোলা হৈছিল। ৰজাই ভূমিদান কৰিলে ব্ৰাহ্মণ-সজ্জন আৰু গাঁৱৰ মুখিয়ালসকলক আৰু নায়কক দস্তুৰমতে জনাই দিয়াৰ প্ৰথা আছিল।

ধৰ্মৰ অনুশাসনমতে দেশৰ শাসন কাৰ্য চলিছিল বুলি আগতে উল্লেখ কৰা হৈছে। ন্যায়কৰণিক বোলা কৰ্মচাৰী গৰাকীয়ে আছিল ন্যায় বিচাৰৰ মুখ্য কৰ্মচাৰী আৰু তেওঁৱেই ভূমি সম্পৰ্কীয় যাৱতীয় বিবাদৰ নিষ্পত্তি কৰিছিল। ব্যৱহাৰিক বোলা কৰ্মচাৰী গৰাকীয়ে আইনৰ অনুশাসন মতে কাম চলিছেনে নাই তদন্ত কৰি ৰজাক নিজৰ মন্তব্য জনাই দিব লাগিছিল। কায়স্থ-সকলে বিচাৰবিভাগৰ কাগজ-পত্ৰ ঠিক-ঠাক ৰাখিছিল। দেশৰ ৰাজহ মূলতঃ সংগৃহীত হৈছিল নিম্নলিখিত বিষয়বোৰৰপৰা :—

( ) নিয়মীয়া কৰ-কাটল
(২) সাময়িক কৰ কাটল
(৩) বাণিজ্যৰ শুল্ক
(৪) দোষীবোৰৰপৰা আদায় কৰা দণ্ডৰ ধন।
(৫) চোৰাংকাৰী সম্পত্তিৰ (State property ৰ) পৰা উঠা ধন।
(৬) সামন্ত ৰজাসকলৰপৰা উঠোৱা কৰ কাটল।

কৰ আৰু উপকৰ দুই প্ৰকাৰেই আছিল নিয়মীয়া কৰ কাটলৰ ভিতৰত প্ৰধান আৰু মূল। 'চাট-ভট-প্ৰবেশম্' বা যুদ্ধৰ সৈন্য অথবা পৰৰাষ্ট্ৰৰপৰা অহা সৈন্যক খোৰাক পেৰাপল দিবলৈ তোলা কৰেই আছিল অস্থায়ী বা সাময়িক কৰবোৰৰ ভিতৰত প্ৰধান। নৈৰে বাণিজ্যৰ কাৰণে নাৱত নিয়া বস্তুৰ ওপৰতো একোটা কৰ বা শুল্ক ধাৰ্য হৈছিল। বৰগাঁও ভূমিদান ফলিত তামৰ খনিৰপৰা পোৱা কৰ এটাৰো উল্লেখ আছে। তাক 'কমলাকৰ' নাম দিয়া হৈছিল। ইয়াৰ পৰা পণ্ডিতসকলে অনুমান কৰে যে অসমত হয়তো কৰবাত তামৰ খনিও আছিল। তামৰ মুদ্ৰাৰ কিন্তু পুৰণি কামৰূপ বা অসমত ব্যৱহাৰ থকাৰ প্ৰমাণ পোৱা নাযায়। গতিকে 'কমলাকৰ' শব্দই অন্য অৰ্থও প্ৰচাৰ পাৰে।

সাধাৰণতে বিষয়পতি, নায়ক, গ্ৰামিক আদি বিষয়াসকলেই ৰজাক কৰ-কাটল তুলি দিব লাগিছিল। নিধনপুৰ ফলিত সীমাপ্ৰদাতা বুলি এজন বিষয়াৰ উল্লেখ আছে। তেওঁ মাটিৰ সীমা ঠিক কৰিছিল। আজিকালিৰ মণ্ডল সেই কালৰ সীমাপ্ৰদাতাৰেই বংশধৰ।

পুলিচ বা শান্তিৰক্ষা বিভাগৰ কৰ্মচাৰীৰ ভিতৰত দাণ্ডিক, দণ্ড-পাশিক আৰু চৌৰোদ্ধৰণিকৰ নাম পোৱা যায়। দণ্ডিকৰ প্ৰধান কাম আছিল বিচাৰালয়ত বিচাৰ আৰু দণ্ডাজ্ঞা শুনাই দিয়া। দণ্ডাজ্ঞা অনুযায়ী দণ্ডপাশিকে নি দোষীক শাস্তি দিছিল। আজিকালিৰ হাত কেৰেয়াৰ দৰে পাশ বা জৰি হাতত থকা বাবেই তেওঁৰ নাম আছিল দণ্ড-পাশিক। চোৰ-ডকাইতৰ ওপৰত যমসদৃশ মুখ্য কৰ্মচাৰীজনৰ নাম আছিল চৌৰোদ্ধৰণিক। অফিচৰ কেৰাণীসকলক লেখক বোলা হৈছিল। যাৰ জিম্মাত বা দায়িত্বত কাকত-পত্ৰবোৰ ৰখা হৈছিল তেওঁক বোলা হৈছিল কাৰণিক। তক্ষকাৰ বা সেক্য-কাৰ বোলা বিষয়াসকলে ফলিৰ ওপৰত ভূমিদান লিপিবদ্ধ কৰিছিল। এই দানপত্ৰবোৰত সাধাৰণতে দানৰ স্থান, দাতাৰ নাম, উপৰি পুৰুষৰ নাম আৰু বৰ্ণন, সাক্ষী, দানৰ উদ্দেশ্য, ভূমিৰ সীমা, গ্ৰহীতা গ্ৰহীতাৰ গুণাবলী, দানৰ ভোগকাল, উৎকীৰ্ণকাৰৰ নাম, হস্তাক্ষৰ স্বত্ব, ভূমিৰ কৰ-কাটলৰ ব্যৱস্থা, ৰাজাৰ নাম, তাৰিখ আদি ফলিত স্পষ্ট হৈ থাকিব লাগিছিল। এটা কামৰ অৰ্থে দিবে আটাইবোৰ নামৰ ফলি ৰজাৰ ঘৰত গাঁথি ৰখাৰ ব্যৱস্থা আছিল।

পটন দিয়া ভূমিক তিনি ভাগত ভগোৱা হৈছিল ; যেনে—প্ৰকৃত গাঁও, খেতিৰ মাটি আৰু গৰু চৰা পথাৰ।* আবাস স্থল বা বস্তি অংশক বোলা হৈছিল বাস্তুভূমি। বাস্তুভূমিৰ চৌৰতে খেতিৰ মাটি আৰু খেতিৰ মাটিৰ চৌৰতে কাঠ, বাঁহ, ফলমূল আদিৰ বাজহুৱা ঠাই উমৈহতীয়া ব্যৱহাৰৰ কাৰণে ৰখা হৈছিল। খেতিৰ মাটিক বোলা হৈছিল ক্ষেত্ৰভূমি। ক্ষেত্ৰভূমি কোনেও বেচি নাৰাখিছিল আৰু তাত খেতিৰ কাৰণে মাটি ভৰাই থোৱা

---

* Speaking generally in terms of agriculture it also appears that Assam villages were divided into three parts ; the village proper, arable and pasture lands - Dr. B. K. Barua (A Cultural History of Assam)

আছিল। ক্ষেত্ৰালিবোৰে শস্যক্ষেত্ৰৰ সীমা নিৰ্দ্ধাৰণ কৰিছিল। গৰু চৰিবৰ কাৰণে "গো-প্ৰচাৰ" নামৰ ঠাই (আজিকালিও তাক গোপচাৰ বোলা হয়) আচুতীয়াকৈ ৰখা হৈছিল। জঙ্গলভূমি আৰু গোপচাৰ সকলোৰে উমৈহতীয়া সম্পত্তি আছিল! গোপচাৰলৈ যাবৰ কাৰণে উমৈহতীয়া গো-বাটৰো ব্যৱস্থা আছিল।

পুৰ, কটক বা নগৰ নামে নগৰ-চহৰবোৰ অভিহিত হৈছিল। সাধাৰণতে চৰকাৰী অফিচ, দুৰ্গ বা চৰকাৰী বিষয়াৰ ৰাজহুৱা কামৰ কাৰণে কৰা আবাস সেই ঠাইৰ বিশেষত্ব আছিল। নগৰৰ বাট-পদূলি আছিল আহল-বহল। ৰাজমাৰ্গ, চতুষ্পথ, ৰথ্যা, বীথী আদি বিভিন্ন শব্দৰ প্ৰয়োগে কোন ৰাস্তা কেনেকুৱা তাৰ এটি আভাস দিছিল। আজিকালিও জানো ৰোড (road), লেন (Lane), ষ্ট্ৰীট (Street) আদি শব্দৰ প্ৰয়োগে তাকে নকৰে ?

পূৰ্ব্বতে কোৱা হৈছে যে ভূমিৰ গৰাকী বা যাই মালিক আছিল ৰজা। হাবিজঙ্গল, গোপচাৰ আদিও আছিল ৰজাৰে। ৰজাই স্বেচ্ছাৰে ভূমিদান কৰি দানগ্ৰহীতাৰ ওপৰত চৰ্ত্ত নিৰ্দ্ধাৰণ কৰিব পাৰিছিল। কেতিয়াবা তেওঁ নিষ্কৰকৈও ভূমিদান দিছিল। চিৰকালৰ কাৰণে দান দিয়া ভূমিও কেতিয়াবা কেতিয়াবা ৰজাই ঘূৰাই লব পাৰিছিল।* (২)

দানৰ ভূমিবোৰক দুই শ্ৰেণীত ভগোৱা হৈছিল, যেনে ক্ষেত্ৰ, অৰ্থাৎ খেতিৰ উপযোগী আৰু খিল অৰ্থাৎ খেতিত বাহিৰে অন্য কামৰ উপযোগী গৰাবাদ ভূমি।

ব্ৰাহ্মণসকলক বা অন্যক গৰাবাদ ভূমি যি প্ৰণালীৰে দান কৰা হৈছিল তাক 'ভূমি-ছিদ্ৰ' প্ৰণালী বোলা হৈছিল, কাৰণ, সাধাৰণতে খেতিত নলগোৱা

* (২) However the bulk of evidence prove that the king was the sole owner of the soil. He could alienate land at will. Moreover it appears that he could resume at will land so given, even though it had ben given orginally as a perpetual grant. Dr B. K. Barua (A Cultural History of Assam).

ভূমিহে তেনেকৈ দিয়া হৈছিল। পিছত গ্ৰহীতাই ইয়াত যতনেৰে খেতি কৰালেও খাজনা বা কৰ দিব নালাগিছিল।

আৰু একপ্ৰকাৰ ভূমি-দানৰ প্ৰণালীক বোলা হৈছিল—"নীবিধৰ্ম্ম" বা 'অপ্ৰদাধৰ্ম্ম' প্ৰণালী। এই প্ৰণালী বা নীতি মানি দান দিয়া ভূমি কিন্তু গ্ৰহীতাৰ দ্বাৰা দান-বিক্ৰী-হস্তান্তৰ হব নোৱাৰিছিল।

ধৰ্ম্মৰ উদ্দেশ্যে বা ব্ৰাহ্মণক বৃত্তি ৰক্ষাৰ্থে স্বতন্ত্ৰভাৱেই দান দিয়া ভূমিদান নীতিক বোলা হৈছিল ব্ৰহ্মদায় বা ব্ৰহ্মদান নীতি। এই নীতিত কেতিয়াবা বাসিন্দা লোকসহ গাঁও দান কৰি দিয়া হৈছিল। এনে গাঁৱক 'অগ্ৰহাৰ' বোলা হৈছিল। এজনক দান কৰিলে সেই ভূমিক বোলা হৈছিল 'একভোগ' আৰু বহুজনক দান কৰা ভূমিক বোলা হৈছিল 'গণভোগ'।

পিছৰ যুগত আহোম আৰু ইংৰাজসকলে এইবোৰ নীতিকে চালি-জাৰি গ্ৰহণ কৰি তাতে যোগ-বিয়োগ দি ব্ৰহ্মোত্তৰ, দেৱোত্তৰ, লাখেৰাজ আদি নাম দিছিল। ভূমিৰ বছৰেকীয়া বা সাময়িক ৰাজহক কৰ নামে অভিহিত কৰা হৈছিল। যিসকল বাসিন্দাৰ ভূমিত স্বত্বাধিকাৰ নাছিল তেওঁলোকে বেলেগ নিৰিখিত কৰ দিছিল আৰু সেই কৰৰ নাম আছিল—'উপৰিকৰ'। আজিৰ তৌজি-বাহিৰা খাজনা বা ভলতীয়া বায়তৰ খাজনাৰ লগত ইয়াৰ সাদৃশ্য আছে।

দোন (দ্ৰোণ) আৰু নলৰ সহায়ত সেই যুগত মাটিৰ জোখ হৈছিল আৰু খাজনা সাধাৰণতে নিৰ্দ্ধাৰিত হৈছিল ধানৰ জোখেৰে। ধান, গোধন আদিয়ে যুগে যুগে কেনেকৈ কিনা-বেচাৰ মাধ্যম স্বৰূপে গৃহীত হৈ বিনিময় কাৰ্য্যত সমাজক সহায় কৰিছিল—ভাবিব লগীয়া।

—

আহোম যুগৰ শাসন-প্ৰণালী আৰু বিষয়া বাব আদি।

আহোমসকলৰ ছশ বছৰীয়া দখলীয়া (১২২৮ চনৰপৰা ১৮২৬ চনলৈ) ৰাজত্ব বুৰঞ্জীৰ এটা বিচিত্ৰ ঘটনা। • (১) শাসনৰ দক্ষতা, যুদ্ধ বিদ্যাত পাৰদৰ্শিতা, ধৰ্ম্ম-বিদ্বেষহীনতা, বিশিষ্ট ৰাজনৈতিক জ্ঞান আৰু নিৰপেক্ষতাই আছিল তেওঁলোকৰ দীৰ্ঘকালব্যাপী ৰাজত্বৰ মূলমন্ত্ৰ। এক নায়কত্ব ৰক্ষা আৰু সম্ভ্ৰান্ত বংশৰ যোগ্য লোকৰ দ্বাৰা ৰাজ্য শাসন—এই দুটা নীতি তেওঁলোকে সদায় সযতনে মানিছিল। ৰজাক বোলা হৈছিল স্বৰ্গদেব আৰু তেওঁৱেই আছিল ৰাজ্যৰ মূল কৰ্ত্তা।

পাটকাই পৰ্ব্বতৰ ওপৰেদি আহি চুকাফা স্বৰ্গদেৱে পোনতে অসমত ৰাজ্য স্থাপন কৰে ১২২৮ খৃষ্টাব্দত। তেওঁ ভালকৈ জানিছিল যে অসম ৰাজ্য তেওঁ অকলে জয় কৰিব নোৱাৰিছিল। তেওঁৰ লগৰীয়াসকলে সহায় নকৰা হলে তেওঁ কেতিয়াও অসমত ৰজা হব নোৱাৰিলেহেঁতেন। সেই গতিকে তেওঁ ৰাজ্য শাসনৰ দায়িত্ব তেওঁলোকৰ লগত ভগাই লৈছিল। বুঢ়াগোহাঁই আৰু বৰগোহাঁই এই দুজনা বিষয়াই পোনতে ৰজাৰ সোঁহাত-স্বৰূপ আছিল। পিছত দিহিঙ্গিয়া ৰজাৰ দিনত (১৬৭৫-১৬৭৬ খৃঃ) বৰপাত্ৰ গোহাঁইৰ পদবী সৃষ্টি কৰা হয়। তেতিয়াৰেপৰা এই তিনিগৰাকীয়ে আছিল শাসনৰ সৰ্ব্বশ্ৰেষ্ঠ বিষয়া। আৰু ৰজাক ৰাজকাৰ্য্যত মন্ত্ৰণা দিয়া মন্ত্ৰী।

আগতে কৈ অহা হৈছে যে পুৰণি অসমৰ ৰাজহ-ব্যৱস্থা আজিকালিৰ ৰাজহ-ব্যৱস্থাৰপৰা সম্পূৰ্ণ পৃথক আছিল। ভূমি-কৰ, জল-কৰ আদিৰ

• Lord William Bentinck, Governor General of India (from 1928 to 1932) referred to the long continuance of Ahom rule in Assam as without example in history" Anglo-Assamese Relations by Dr. S. K. Bhuyan.

নাম মানুহে শুনাই নাছিল। ১৬৬২ চনতেই মিৰজুম্লা'ৰ লগত অসমলৈ অহা ছিহাবুদ্দিন নামৰ মুছলমান ঐতিহাসিক এজনে লিখি থৈ গৈ.ছ—"খেতি-য়কৰপৰা মাটিৰ টেক্স বা কৰ আদায় কৰা ইয়াত নীতি বিৰুদ্ধ কথা। কিন্তু প্ৰত্যেক তিনিজন লোকৰ এজনে ৰজা'ৰ ঘৰত খাটি দিব লাগিছিল। ৰাজ-আজ্ঞা হেলনত পলম হলে সততে মৃত্যু-দণ্ড হৈছিল। ‥ ৰজাই সাধাৰণতে বিদেশী লোকক নিজৰ ৰাজ্যত প্ৰৱেশ কৰিব নিদিছিল আৰু নিজ দেশৰ মানুহকো বাহিৰ হৈ যাবলৈ বাধা দিছিল।"

ৰজা আৰু গোহাঁই নিৰ্ব্বাচন

আহোম শাসনত খাজনা, ৰাজহ, কৰ-কাটল আদি লগোৱাৰ মূলভাৰ আছিল ৰজাৰ ওপৰতে। উপৰুক্ত তিনিজন প্ৰধান মন্ত্ৰীয়ে তেওঁক ৰাজ-কাৰ্য্যত সহায় কৰিছিল এই প্ৰধান মন্ত্ৰী কেইগৰাকীৰ প্ৰত্যেকৰে এলেকা নিৰ্দ্দিষ্ট আছিল। শাসন সম্পৰ্কীয় মূল কথাবোৰত তেওঁলোক ৰজাৰ মাথোন উপদেষ্টা হৈ আছিল। কিন্তু সেইবুলি ৰজাই ৰাজ্যৰ শান্তিৰক্ষা, যুদ্ধবিগ্ৰহ সন্ধিস্থাপন আদি আৱশ্যকীয় কাম কাজবোৰত তিনিও গোহাঁইৰ পৰামৰ্শ লব লাগিছিল। আনকি তিনিও লগ হৈ একমত হৈ সন্মতি দিলেহে ৰজা ৰাজপাটত উঠিব পাৰিছিল। যুটীয়াভাৱে তেওঁলোক ইমানেই ক্ষমতাশালী আছিল যে তিনিও লগ হৈ একমত হলে তেওঁলোকে ৰজাকো ভগাপতা কৰিব পাৰিছিল। এইটো কিন্তু লক্ষ্য কৰিবলগীয়া যে ৰজা বলবান হলেই গোহাঁইসকলে সিমান প্ৰভাৱ দেখুৱাব নোৱাৰিছিল আৰু অলপ দুৰ্ব্বল হলেই তেওঁলোক নিজে প্ৰকৃত ৰজা হৈ পৰিছিল। এনেকৈ প্ৰতাপসিংহ, গদাধৰ সিংহ, ৰুদ্ৰসিংহ আদি ৰজাসকল আছিল সবল আৰু ল'ৰা ৰজা, কমলেশ্বৰ সিংহ আদি ৰজাসকল আছিল দুৰ্ব্বল মনৰ ৰজা। ৰজা নিৰ্ব্বাচন সদায় সাধাৰণতে ৰজাৰ পৰিয়ালৰ অথবা ৰজাৰ বংশৰ উপযুক্ত কোঁৱৰসকলৰ পৰা হৈছিল। ৰজাৰ তেজৰ সম্বন্ধ নথকা কোনো লোক ৰজা হব নোৱা-ৰিছিল। শৰীৰত ঘুণ থাকিলে অথবা কিবা প্ৰকাৰে অঙ্গক্ষত হলে কোনো লোকক ৰজা পতা নহৈছিল। ৰজা নিৰ্ব্বাচিত হোৱাৰ পিছত ৰজাই প্ৰথম হাতত কুল-দেৱতা চোমদেৱৰ মূৰ্ত্তি আৰু অন্য হাতত হেংদান লৈ ৰখলা হাতীত উঠি চৰাইদেউ পৰ্ব্বতলৈ গৈছিল আৰু তাৰপিছত যথাবিহিতভাৱে

শিঙৰিঘৰৰ সিংহাসনত আৰোহণ কৰিছিল। হেংদান ৰাজ-ক্ষমতাৰ চিন-স্বৰূপ। সেইবাবে মন কঠোৰ কৰি লবৰ কাৰণে হেংদান হাতত লৈ শিঙৰিঘৰত প্ৰৱেশ কৰাৰ আগতে আহোম ৰজাসকলে একোটাকৈ মানুহ কাটিছিল। ৰুদ্ৰসিংহ ৰজাই পোনতে মানুহৰ ঠাইত ম'হ বলি দিয়াৰ প্ৰথা চলায় আৰু পিছত সেয়ে চলিবলৈ ধৰে। • (২)

ৰজা যেনেকৈ একোটা নিৰ্দ্দিষ্ট পৰিয়াল বা বংশৰপৰা নিৰ্ব্বাচন কৰা হৈছিল ঠিক সেইদৰে ৰজাৰ প্ৰধান বিষয়া গোহাঁইকেইজনো তেনেকৈ নিৰ্দ্দিষ্ট পৰিয়ালৰপৰা নিৰ্ব্বাচিত হৈছিল। ৰজা আৰু গোহাঁই নিৰ্ব্বাচনত সাধাৰণতে পিতাৰ ঠাই পুত্ৰই লৈছিল।

গোহাঁইসকলৰ প্ৰত্যেকৰে তলত কিছুমান বহতীয়া পৰিয়াল আছিল আৰু এই পৰিয়ালবোৰৰ ওপৰত গৰাকীজনত বাহিৰে আন কোনেও কোনোপ্ৰকাৰ প্ৰভুত্ব চলাব নোৱাৰিছিল। ডেভিড স্কট চাহাবৰ মতে প্ৰত্যেক গোহাঁইৰ দহ হাজাৰকৈ পাইক আছিল। সেয়ে প্ৰায় বছৰি ১০,০০০ টকাৰ সমান আছিল। তাৰে চিন আজিও গোহাঁইগাঁও, গোহাঁই পথাৰ, গোহাঁই-ঘাট আদি গাঁৱৰ নাম বৈ আছে।

সেই কালত যোগ্যতাৰ সমাদৰ আছিল যদিও নিজৰ লগা-ভগাসকলক ডাঙৰ ডাঙৰ বিষয়া পাতি দিয়াৰ দৃষ্টান্তও অলেখ আছে। আন নালাগে দিহিঙীয়া ৰজাই পতা প্ৰথম বৰপাত্ৰ গোহাঁইজনাই তেওঁৰ নিজৰে সতীয়া (মাহীমাকৰ পুতেক) ভায়েক আছিল।

ৰৰৰুৱা আৰু বৰফুকন

ৰাজ্য বঢ়াৰ লগে লগে আৰু অধিক বিষয়াৰ প্ৰয়োজন হৈ আহিল। তেতিয়া বৰবৰুৱা আৰু বৰফুকন নামে আৰু দুগৰাকী নতুন বিষয়াৰ পদৱী ওলাল। প্ৰতাপসিংহ স্বৰ্গদেৱৰ দিনতেই (খৃ ১৬০৩—১৬৪১) বৰবৰুৱা আৰু বৰফুকনৰ সৃষ্টি হয়। প্ৰথমে এই পদবীবোৰ পুৰুষানুক্ৰমে পোৱা খিতাপ আছিল। তাৰ পাছত বাৰটা নিৰ্দ্দিষ্ট পৰিয়ালৰপৰা এই বিষয়াবোৰ বাছি লোৱাৰ স্থিৰ হয়। প্ৰধান গোহাঁই তিনিগৰাকীৰ পৰিয়ালৰপৰা কিন্তু কোনেও বৰবৰুৱা বা বৰফুকন হব নোৱাৰিছিল। কাৰণ, সন্ত্ৰান্ত বংশৰ

(২) • Vide page 235 of Gait's History of Assam.

লোৱৰপৰা উচ্চ বৰ্গচৰ্ব্য লোৱা নীতি থাকিলেও এনে ঠাইতে যাতে ৰাজ-কাৰ্য্য সকলো ক্ষমতা কেন্দ্ৰীভূত নহয় সেইটোলৈ নজৰ ৰখা হৈছিল।

সদিয়াৰপৰা কলিয়াবৰলৈ এই ডোখৰ ৰাজ্য বৰবৰুৱাৰ এলেকা আছিল; গোঁহাইসকলৰ এই ভূমিখণ্ডত পোনপটীয়াকৈ একো হাত নাছিল। বৰবৰুৱায়ে এই ভূখণ্ডৰ ন্যায় শাসনৰ বাবে দায়ী আছিল। তেওঁৱেই সৈন্যাধ্যক্ষও (Commander) আছিল। তেওঁ তাৰ বাবে চৈধ্য হাজাৰ পাইক পাইছিল। তিনি গোহাঁইৰ তলতীয়া পাইক আৰু বৰবৰুৱাৰ তলতীয়া পাইকৰ প্ৰভেদ হৈছে এই আছিল যে বৰবৰুৱাৰ তলতীয়া পাইকে সেই নিৰ্দিষ্ট কামৰ কাৰণে বছৰত বাৰাজুৰা কামত খাটিব লাগিছিল। তাহানিৰ অনেক আলি-পদূলি, পুখুৰী আদি এই পাইকসকলৰ হাতৰ কাম। গোহাঁইৰ পাইকে সেই ৰজাঘৰত খাটিব নালাগিছিল।

বৰফুকনে পোনতে ৰজাৰ প্ৰতিনিধি স্বৰূপে কলং আৰু ব্ৰহ্মপুত্ৰৰ মাজৰ ঠাইডোখৰ মাত্ৰ শাসন কৰিছিল। পিছত তেওঁৰ এলেকা কলিয়াবৰৰপৰা গোৱালপাৰালৈ বিয়পে। তেতিয়া গুৱাহাটীত তেওঁৰ সদৰ ঠাই হয়। তেওঁৰ ক্ষমতা ক্ৰমে ক্ৰমে বৰবৰুৱাতকৈ কিয় গোহাঁইসকলতকৈও কোনো কোনো ক্ষেত্ৰত চৰিছিল। সাধাৰণতে ৰজাইহে দোষীক প্ৰাণদণ্ডৰ আদেশ দিব পাৰিছিল। গোহাঁইসকলৰ ক্ষমতাৰ সাধাৰণ সীমাৰ ভিতৰত সেই কাৰ্য্য নাছিল। বৰফুকনে কিন্তু দোষীক পানীত ডুবাই বধ কৰা আদি শাস্তি ৰজাক নোসোধাকৈয়ে দিছিল। বৰবৰুৱাৰ এই ক্ষমতা নাছিল। বৰফুকন আছিল নামনি অঞ্চলত স্বৰ্গদেৱৰ প্ৰতিনিধি বিষয়া।

এওঁলোকৰ বাহিৰেও সৈন্য-বিভাগত প্ৰকাৰ ভেদে পাইক বা সাধাৰণ ৰাইজক চলাবৰ কাৰণে কিছুমান নিৰ্দ্দিষ্ট বিষয়া আছিল; যেনে, বৰা, শইকীয়া, হাজৰিকা ইত্যাদি। পাইকবোৰে শান্তিৰ সময়ত ৰাজআলি আলি বন্ধা, পুখুৰী খন্দা, মঠ-মন্দিৰ নিৰ্ম্মাণ কৰা আদি কামত লাগিছিল আৰু যুদ্ধৰ সময়ত সৈনিক হিচাপে কাম কৰিছিল। শৃংখলাবদ্ধ জীৱন-যাপন এটা মন কৰিবলগীয়া বিষয় হৈ পৰিছিল।

ৰৰা, শইকীয়া, হাজৰিকা

পাইকৰ বিভিন্ন 'খেল' আছিল। এই খেলবোৰ ব্যৱসায় অনুসৰি বা

হৈ'ন অনুসৰি গঢ় লৈ উঠিছিল, যেনে, কাজীৰ খেল, নাওবৈচাখেল, অথবা ভিমকণ্ডৰীয়া খেল, নদীপৰীয়া খেল ইত্যাদি।

প্ৰজাসকলবো 'চমুৱা' নামৰ এক শ্ৰেণীৰ লোকে পাইকানি খাটিব নালাগিছিল। কায়িক খাটনিৰ পৰিবৰ্তে তেওঁলোকে নিৰ্দ্দিষ্ট হাৰত খাজনা বা কৰ দিব লাগিছিল। সম্ভ্ৰান্ত শ্ৰেণীয়ে আছিল চমুৱা, আৰু চমুৱাৰ পৰাহে ৰাজকাৰ্য্যত বিষয়া নিযুক্ত হৈছিল।

কোনো কোনো ক্ষেত্ৰত তিনিজন আৰু অন্য কোনো ক্ষেত্ৰত চাৰিজন পাইকে এটা গোট হৈছিল। প্ৰত্যেক খেলৰ কুৰিজন পাইকৰ ওপৰত একোজন বৰা আছিল। এশ জনৰ ওপৰত একোজন শইকীয়া আছিল। এহেজাৰ পাইকৰ ওপৰত আছিল হাজৰিকা; তিনি হাজাৰৰ ওপৰত ৰাজখোৱা, ছয় হাজাৰৰ ওপৰত ফুকন— এনেকৈয়ে সৈন্যবিভাগ গঠিত হৈছিল। সৈন্যক আজিকালিৰ দৰে ৰজা-ঘৰৰপৰা খৰচ দি পুহিব নালাগিছিল। পাইকবোৰে বৰা, শইকীয়া, হাজৰিকা আদিক ভাঙিব আৰু আৰু নতুনকৈ পতিবৰ কাৰণে সমূহীয়াকৈ দাবী কৰিব পাৰিছিল। তাৰেই ফলত কৰ্ম্মচাৰীসকলে বৰ বেছিকৈ মইমতালি দেখুৱাব অথবা পাইকবোৰক দুৰ্ব্যৱহাৰ কৰিব নোৱাৰিছিল। দৰমহাৰ পৰিবৰ্তে সকলো ৰাজকৰ্ম্মচাৰীয়ে নিৰ্দ্দিষ্ট সংখ্যক পাইক পাইছিল। উচ্চ বংশৰ লোক, পুৰোহিত বামুণসকল, উচ্চ জাতিৰ মানুহ আৰু তেওঁলোকৰ চাকৰ-বাকৰত বাহিৰে বাকী সকলো মতা মানুহে পোন্ধৰ আৰু পঞ্চাশ বছৰ বয়সৰ ভিতৰত ৰজাঘৰত পাই হিচাপে খাটিব লাগিছিল। সাধাৰণতে গোটৰ প্ৰত্যেক পাইকে বছৰৰ তিনি মাহ ৰজা ঘৰত খাটিব লাগিছিল। যুদ্ধ-বিগ্ৰহৰ সময়ত পাইকৰ গোটৰ দুজন, তিনিজন বা আটাই কেইজন লোকেই খাটিব লগীয়া হৈছিল। ইয়াক আতুৰ কালৰ ব্যৱস্থা বুলি ধৰা হৈছিল।

ওপৰত উল্লেখ কৰা ধৰণৰ পাইকৰ খাটনি অসম বুৰঞ্জীৰ তলতৈ যোৱা সময়লৈকে চলি আছিল। নামনিৰ কামৰূপ অঞ্চলত পাইকৰ ঠাইত মুছলমানসকলে দেখুৱাই যোৱা মতে খাজনা তোলাৰ ব্যৱস্থা আছিল। সেইমতে কামৰূপৰ অনেক ঠাই পৰগণাত বিভক্ত হৈছিল আৰু পৰগণা মতে খাজনা হিচাপ হৈছিল। উজনিৰ খেল প্ৰণালীত মাহুহৰ বৰুৱা প্ৰথা মোমাই তামুলী বৰুৱাৰ সৃষ্টি। স্বৰ্গদেৱ প্ৰতাপ সিংহৰ আদেশত ১৬০৯ চনত মোমাই তামুলী

বৰুৱাই এই কাম হাতত লৈছিল। মোগলসকলৰ মনচবদাৰী প্ৰথাৰ আৰ্হিত অসমীয়া খেল-প্ৰণালীৰ সৃষ্টি হৈছিল বুলি ড° ভূঞাৰ অভিমত। মনচবদাৰী প্ৰথামতে নিৰ্দ্দিষ্ট সংখ্যক সৈন্যৰ ওপৰত নিৰ্দ্দিষ্ট ক্ষমতা আৰু মৰ্য্যাদাসম্পন্ন বিষয়া নিৰূপিত হৈছিল। আজ্ঞাধীন হৈ থকা জনতীয়া সৈন্য-সংখ্যায়ে কৰ্মচাৰীজনাৰ মৰ্য্যাদা নিৰ্দ্ধাৰণ কৰিছিল আৰু ক্ষমতাৰ পৰিচয় দিছিল।

অন্যান্য শাসনকৰ্ত্তাসকল

সৈন্য বিভাগ আৰু বৰা, শইকীয়া, হাজৰিকা আদি বিষয়াসকলৰ কথা কোৱা হ'ল। তেওঁলোকত বাহিৰেও বৰগোহাঁই, বুঢ়াগোহাঁই আৰু বৰপাত্ৰ-গোহাঁই—এওঁলোকক সহায় কৰিবৰ কাৰণে ৰাজ্যত আৰু কিছুমান স্থানীয় শাসনকৰ্ত্তা আছিল। তেওঁলোকক স্থানৰ নামেৰেই অভিহিত কৰা হৈছিল; যেনে, মৰঙিখোৱা গোহাঁই, কাঁজলীমুখীয়া গোহাঁই, চাৰিং ৰজা, টিপাম ৰজা ইত্যাদি। আহোমসকলৰ আগৰ কিছুমান স্থানীয় ৰজা বা শাসনকৰ্ত্তাই আহোমৰ ওচৰত আত্ম-সমৰ্পন কৰাত তেওঁলোকক আহোম ৰজাই কৰতলীয়া শাসনকৰ্ত্তা কৰি ৰাখিছিল। এওঁলোকক ৰজাপোৱালি বা দাঁতিয়লীয়া ৰজা নামে জনা গৈছিল। এওঁলোক বহুত আছিল; যেনে, দৰঙী ৰজা; ডিমৰুৱাৰ ৰজা; ৰাণী, বৰদুৱাৰ, বেলতলা আদিৰ ৰজাসকল ইত্যাদি। এই সকলৰ ভিতৰত দৰঙী ৰজা বহুত বিষয়ত স্বতন্ত্ৰীয়া আছিল।

অন্যান্য কৰ্ম্মচাৰীসকল

উপৰুক্ত আহোম বিষয়া আৰু কৰতলীয়া ৰজাসকলত বাহিৰেও কিছুমান দায়িত্বশীল কৰ্মচাৰী স্থানীয় সম্ভ্ৰান্ত পৰিয়ালবপৰা অথবা তিনি, চাৰি পুৰুষ অসমত থাকি বিশ্বাসী বিদেশী লোকবপৰাও নিযুক্ত কৰা হৈছিল। এওঁলোকৰ ভিতৰত সৰ্ব্বশ্ৰেষ্ঠ আছিল ফুকনসকল। ছয়জন ফুকনেৰে বৰ-বৰুৱাৰ বিচাৰ সভা গঠিত হৈছিল। তেওঁলোকৰ সুকীয়া সুকীয়া অন্যান্য কৰ্ত্তব্যও আছিল; যেনে, নাওবৈচা ফুকনৰ অন্য কৰ্ত্তব্য আছিল এহেজাৰ নাওবোৱা মানুহক ৰজাঘৰীয়া নাওৰ কাৰণে তৈয়াৰ কৰি ৰখা। তেনেকৈ বৰফুকনৰ বিচাৰ-চ'ৰাবো মাই বিষয়া আছিল ছজনা ফুকন। বৰবৰুৱাৰ বিচাৰ সভাৰ দৰেই এই বিচাৰ সভাও চলিছিল। এওঁলোকৰ উপৰিও

পৰ্বতীয়া ফুকন, তামূলী ফুকন, চোলাংবা ফুকন, জলভাৰী ফুকন—ইত্যাদি অনেক তলতীয়া কৰ্মচাৰী নানা কামত নিযুক্ত আছিল।

ফুকনৰ বাহিৰে সেনেওৰা উচ্চ পদস্থ কৰ্মচাৰী আৰু এক শ্ৰেণীৰ আছিল—তেওঁলোকক বৰুৱা বোলা হৈছিল। তেওঁলোকৰো ভাণ্ডাৰী বৰুৱা, বেজ-বৰুৱা, হাতী বৰুৱা, ঘোঁৰা বৰুৱা ইত্যাদি একৈৰি প্ৰকাৰৰ বৰুৱা আছিল। এওঁলোকৰো প্ৰত্যেকৰে কৰ্তব্য নিৰ্দ্দিষ্ট আছিল।

এই সকলৰ উপৰি বাৰজন ৰাজখোৱা, অনেক কাকতী, কটকী আৰু দলৈও আছিল। ৰাজখোৱা সকলৰ কৰ্তব্য আছিল যুদ্ধত তিনি হাজাৰ সৈন্য পৰিচালনা কৰা সেই পিনেদি বৰবৰুৱাৰ তলতেই আছিল ৰাজ-খোৱাসকল। ৰাজহুৱা কামৰ তত্ত্বাৱধান লোৱা আৰু কাজিয়া পেচাল ভাঙি দেশত শান্তি স্থাপন কৰাও তেওঁলোকৰ অন্যতম কৰ্তব্য আছিল। কাকতী সকলে ৰজাঘৰীয়া হিচাপ কিতাপ, কাকত পত্ৰ আদি ৰাখিছিল, কটকী-সকলে বিদেশত গৈ ৰজাৰ হকে প্ৰচাৰ কৰিছিল আৰু মিত্ৰতা স্থাপনত সহায় কৰিছিল; দলৈসকলৰ কাম আছিল জ্যোতিষ চৰ্চ্চাৰ দ্বাৰা দেশৰ মঙ্গল ৰক্ষাত ৰজাক সহায় কৰা। এই দৰেই আহোম ৰাজত্বত বিভিন্ন কৰ্মচাৰীসকল নিযুক্ত হৈছিল।

বিচাৰ বিভাগ

আহোম ৰাজত্বত বৰগোহাঁই, বুঢ়াগোহাঁই আৰু বৰপাত্ৰ গোহাঁই—এওঁ-লোকেই আছিল প্ৰধান বিচাৰক। তলতীয়া বিষয়াসকলৰ বিচাৰৰ বিৰুদ্ধে 'আপীল' হৈছিল এই তিনিগৰাকী বিষয়াৰ ওচৰত। বৰবৰুৱা আৰু বৰ-ফুকনৰ বিচাৰৰ বিৰুদ্ধে আপীল হৈছিল ৰাজ সভাত। ৰজাৰ সমনি ন্যায়-সোধা ফুকনে বিচাৰ কৰিছিল। ডাঙৰ ডাঙৰ কৰ্মচাৰীসকলে যুদ্ধত বন্দী কৰি অনা নিকিনা গোলামবোৰক চাকৰ হিচাপে পাইছিল। এই দাস বা চাকৰবোৰ একপ্ৰকাৰে নিশ্চিন্ত আছিল। সিহঁতে প্ৰভুৰ ঘৰত খাটি থাকি তাতেই খাই-লৈ মহাসুখে বাস কৰিছিল। ৰজাঘৰত খাটিব নালাগি-ছিল। যুদ্ধৰ সময়তো ইহঁতক একো দায়-জগৰে নাপাইছিল। সেই হিচাপে ইহঁতৰ জীৱন পাইকৰ জীৱনতকৈ সুখৰ আছিল। সেই কাৰণেই অনেক পাইকে সম্ভ্ৰান্ত লোকৰ ঘৰত চাকৰ খাটিবলৈয়ে বেছি পছন্দ কৰিছিল।

অসম ইংৰাজৰ হাতলৈ গ'লত অকল ডেভিড স্কট চাহেবেই এগ্ৰেমুৰা বাৰ হাজাৰ দসক মুক্তি দি'ছিল আৰু তাৰেই ফলত উজনিৰ অনেক ডাঙৰ-ডাঙৰীয়াৰ দুখ-দুৰ্গতি বুলাই-পাচিয়ে নথকা হৈছিল।

আহোম-বিচাৰালয় বা চ'ৰাৰ ছয় ফুকন আৰু বাৰ বাজখোৱাৰ কথা আজিও বুঢ়া মানুহৰ মুখত শুনা যায়। বিষয়াসকলৰো দুটা চাম বা থলপ আছিল: ভিতৰুৱাল বিষয়া আৰু বাজুৱাল বা মেলডগীয়া বিষয়া। ভিতৰ চ'ৰাত ভিতৰুৱালসকলৰ আৰু বাহিৰ চ'ৰা বা বাহিৰৰ কামত বাজুৱালসকলৰ প্ৰাধান্য ৰজিছিল। নকলেও চলে যে ভিতৰুৱালসকলে বাজুৱালসকলতকৈ উচ্চ শ্ৰেণীৰ বুলি গওপ মাৰিব পাৰিছিল।

সামাজিক ব্যৱস্থা

আহোমসকলৰ ৰজত্বত ধনী গৰিব, ডাঙৰ-সৰুৰ পাৰ্থক্য বাককৈয়ে আছিল। শ্ৰেষ্ঠ বংশৰ সম্ভ্ৰান্ত লোকেহে জোতা পিন্ধিব পাৰিছিল। ছাতা বা জাপি লোৱাৰো সেই একে কথা। দোলাত উঠা সম্ভ্ৰান্ত লোকৰ কাম আৰু সন্মানৰ পৰিচায়ক আছিল। কিন্তু দোলাত উঠিবৰ জোখাৰে সন্মান পাবলৈ অৰ্থব্যয় কৰি নিৰ্দিষ্ট উৎসৱ কিছুমান পাতিলেই চলিছিল। এনে উৎসৱত সাধাৰণতে প্ৰায় এহেজাৰ টকা খৰছ হৈছিল।

সাধাৰণ ভৰপৰ মানুহে খনিয়া বা চাদৰ বাওঁ-কান্ধতহে লব পাৰিছিল। উচ্চ শ্ৰেণীৰ আৰু সম্ভ্ৰান্ত পৰিয়ালৰ লোকসকলেহে সোঁকান্ধত লব পাৰিছিল। সাধাৰণ লোকক পৰ্কাঘৰ বান্ধিবলৈ অনুমতি দিয়া নহৈছিল। চুলি বথা আৰু পাগুৰি মৰা মতা মানুহৰ কাৰণে পদ-মৰ্য্যাদা আৰু বংশ গৌৰৱৰ পৰিচায়ক আছিল। কিছুমান নীচ জাতিৰ লোকক চুলি ৰাখিবলৈ কোনো কাৰণতে অনুমতি দিয়া নহৈছিল। অন্য কিছুমান তল শ্ৰেণীৰ নীচ জাতিৰ লোকে তেওঁলোকৰ কৰ্ম্মসূচক চিন কপালত আঁকি লব লাগিছিল। উচ্চ-পদস্থ বিষয়াক দেখি তেওঁৰ নিম্নপদস্থ বিষয়াসকলে বাটত হলেও আঠু লৈ অভিবাদন জনাব লাগিছিল। তাৰে হাত সাৰিবৰ কাৰণে আঁৰ-কাপোৰৰ দৰে আঁৰণ ধৰাৰ প্ৰণালীও আছিল।

উপাধি কিছুমানৰ অৰ্থ

সাধাৰণতে আহোম ৰজাসকলৰ নামবোৰ 'চু'ৰে আৰম্ভ আৰু [illegible]

শেষ হৈছিল। 'চু' মানে, আহোম ভাষাত বাঘ (যেনে, উপাধিৰ সিংহ); 'ফা' মানে মানে স্বৰ্গ। সেই দেখি চুকাফা মানে স্বৰ্গৰপৰা অহা বাঘ; ('ফা' মানে অহা)। নেন=ধুনীয়া। গতিকে চুনেনফা=স্বৰ্গৰ ধুনীয়া বাঘ। পাত—জৰী। গতিকে চুপাতফা=জৰীৰ দৰে স্বৰ্গৰ বাঘ। খ্ৰং—ভয়ঙ্কৰ। গতিকে চুখ্ৰংফা=স্বৰ্গৰ ভয়ঙ্কৰ বাঘ।

গোহাঁই শব্দও প্ৰথমতে গোসাঁই আছিল। আহোমসকলে 'স'ক 'হ' উচ্চাৰণ কৰি গোঁহাই কৰিলে। স্থানীয় সম্ভ্ৰম-সূচক সম্প্ৰদায়ৰ সঁচত এই উপাধিবোৰ গঢ়ি উলিওৱা হৈছিল। বৰগোহাঁই আহোম ভাষাত আছিল—চাওথালুং (দেৱতা-প্ৰাচীন-বৃহৎ); বুঢ়াগোহাঁই, চাওফ্ৰা মুং (দেৱতা-ব্যাপক দেশ); বৰপাত্ৰগোহাঁই, চাও চেং লুং (দেৱতা-পবিত্ৰ-বৃহৎ)। ৰবৰুৱাক বুলিছিল—ফুকেন লুং (মন্তা-মহৎ-ডাঙৰ)। বৰফুকনক বুলিছিল—ফুকন লুং (মন্তা-পূৰ্ব্বৰ-বৃহৎ। এইদৰেই আহোমসকলে থলুৱা সাঁচত সকলোবোৰ গঢ়ি লবলৈ যত্ন কৰিছিল।

অন্যান্য বিষয়—

আহোমসকলে পাটকাই পৰ্ব্বত পাৰহৈ অসমত প্ৰৱেশ কৰা সময়ত লগত তিৰোতা মানুহ অনা নাছিল। গতিকে মৰাণ, বৰাহী আদি থলুৱা লোকৰ তিৰোতা বিয়া কৰাইছিল আৰু সেয়ে তেওঁলোকক অসমৰ থলুৱা লোকৰ দৰে কৰি তুলিছিল। চুদাংফা বা বামুনীকোঁৱৰ (১৩৯৭—১৪০৭ খৃ)ৰ পৰা আহোম ৰজাসকলে হিন্দুধৰ্ম্মৰ প্ৰতি বিশেষ আসক্তি দেখুৱাইছিল যদিও আচলতে জয়ধ্বজ সিংহ (১৬৪৮—১৬৬৩ খৃ) ৰজাইহে পোন প্ৰথমে বিধি অনুসাৰে হিন্দুধৰ্ম্ম গ্ৰহণ কৰে।* ১৬৪১ চনৰপৰা ১৬৮১ চনলৈ যিসকল

---

* Hindu influence first entered the Ahom Court during the reign of King Sudangpha Bamuni Kowanr who had been brought up in a Brahmam family. The influence was more marked in the reign of King pratap Singh who was personally grateful to Brahman priests for ridding him of a 'demon' which had possessed him during his princehood. "Anglo- Assamese Relations"— by Dr. S. K. Bhuyan.

আহোম ৰজাই হিন্দুধৰ্ম্ম গ্ৰহণ কৰিছিল তেওঁলোকৰ সকলোবোৰ বৈষ্ণৱধৰ্মী আছিল। তুংখুঙীয়া ফৈদৰ দিনৰপৰাহে আহোম ৰজাসকল শাক্তধৰ্মী হয়। গদাধৰ সিংহই তুংখুঙীয়া ফৈদৰ প্ৰথম ৰজা। (১৬৮১ খৃ)।

হিন্দুধৰ্ম্ম গ্ৰহণ কৰিছিল যদিও আহোম ৰজাসকলে আহোম ৰীতি নীতি আৰু আহোমৰ ধৰ্ম সম্পূৰ্ণৰূপে পৰিহাৰ কৰা নাছিল। সিংহাসনত উঠাৰ পিছত আহোম আৰু হিন্দু ধৰ্মমতে পৃথক পৃথক নাম প্ৰত্যেকে গ্ৰহণ কৰিছিল, যেনে চুতাম্লা', চুপ্ৰাংফা, চুহিতপাংফা আৰু চুৰিংফাৰ হিন্দু নাম আছিল ক্ৰমে জয়ধ্বজ সিংহ, ৰুদ্ৰসিংহ, গোৰীনাথ সিংহ আৰু চক্ৰধ্বজ সিংহ। মুদ্ৰাবোৰতো আহোম আৰু অসমীয়া দুয়োপ্ৰকাৰ অক্ষৰতে কথাবোৰ লিখা হৈছিল। তামৰ ফলিবোৰতো সেই একে কথা আছিল। ৰাজেশ্বৰ সিংহৰ পিছৰপৰা আহোম ৰজাসকলৰ অন্ত্যেষ্টিক্ৰিয়াও হিন্দু আৰু আহোম এই দুয়ো ধৰ্ম্মৰ ৰীতিমতে কৰা হয়।

১৭৭২ চনলৈকে গোহাই আৰু ফুকনৰ পিয়ৰ বৰীয়াসকল আহোমৰপৰাহে নিযুক্ত হৈছিল। হিন্দু বা মুচলমানৰ ভিতৰত শ্ৰেষ্ঠ পদবী আছিল 'বৰুৱা'। আহোম ৰাজ-চ'ৰাত 'পাৰ্চী পঢ়িয়া' বুলি এজন বিষয়া আছিল। তেওঁ ফাৰ্চী ভাষাৰ কাকতপত্ৰ পঢ়ি ব্যাখ্যা কৰিব লাগিছিল। মুছলমান ধৰ্ম্মৰ মুখ্য নেতা 'পীৰ'সকলক আহোম ৰজাই আদৰ-অভ্যৰ্থনা কৰি হিন্দুসকলক দিয়াৰ দৰে ভূমিদান দিছিল। এনে ভূমিক 'পীৰপাল' ভূমি বোলা হৈছিল। হাজো, বঢ়িয়া আদি ঠাইবোৰত আজিকোপতি পীৰপালৰ মাটি আছে। ই আহোমসকলৰ ধৰ্ম্মৰ ফালেদি উদাৰতাৰ পৰিচায়ক।

আহোমসকলে যে হিন্দুধৰ্ম্ম গ্ৰহণ কৰি নিজেহে হিন্দু হৈছিল এনে নহয়, বৰং হিন্দু আৰু অন্যান্য জনজাতীয় লোকসকলৰো কিছুমানক তেওঁলোকে আহোমৰ শাৰীলৈ তুলি আহোম সজাইছিল আৰু সেইদৰে আহোমৰ দায়িত্বশীল ৰাজকৰ্ম্মত অধিষ্ঠিত কৰিছিল।*

---

* ...... Some leading families appear to have been founded by patriarchs belonging to the following non-Ahom, races, tribes and communities namely Borahi, Chutia Garo, Koch, Kachari, Moran, Hindu Kalita, Hindu Dhoba, Miri, Mogul and Muslim.—Ibid

পোনতে আহোমসকলৰ সাতোটা মাত্ৰ বিখ্যাত পৰিয়াল আছিল। তেওঁলোকৰ প্ৰত্যেক পৰিয়ালে একো একোটা ফৈদৰ সৃষ্টি কৰে। তেওঁলোকক সাতঘৰীয়া আহোম বোলা হৈছিল। প্ৰথম তিনিঘৰ ৰজাঘৰীয়া লোক আছিল। তেওঁলোক আছিল বুঢ়াগোহাঁই আৰু বৰগোহাঁই গোষ্ঠীৰ লোক। বাকীকেইঘৰ সম্বন্ধে মতভেদ আছে। কাৰো কাৰো মতে দেওধাই, মোহন, বাইলুং আৰু চিৰিং এই চাৰি পৰিয়াল; অন্য কাৰো মতে আকৌ লাহন, শন্দিকৈ, ডিহিঙ্গীয়া আৰু তুৱৰা -এই চাৰি ঘৰ। সি যিয়েই নহওক উচ্চ বিষয়-বাববোৰ এনেধৰণৰ উচ্চ বংশজ লোকৰ মাজত আবদ্ধ আছিল। আহোম ৰজাই সামন্তপন্থীয়া প্ৰজাক বিশ্বাস নকৰিছিল, কিন্তু বছা-বছা লোকক কিছুমানক বিশ্বাস নকৰাই নাছিল, যেনে—বুজৰবৰুৱা পৰিয়াল, চান্দকুছীয়া আৰু বৰনগৰীয়া বৰুৱাৰ পৰিয়ালবোৰ ইত্যাদি।

এনেদৰে হাতেৰে হাতী ধৰাৰ আহিত আহোমসকলে খলুৱা লোকৰ সহায়ত থাকে। লোকক শাসন কৰিছিল, ৰজাৰ ভিতৰৰ কৰি কাৰো হাতত যাতে সৰ্বময় কৰ্তৃত্বৰ ক্ষমতা নথাকে তাৰ বাবে যত্ন লৈছিল আৰু দয়া-দাক্ষিণ্য উদাৰতা, সদ্ব্যৱহাৰ আদিৰ উচিত ব্যৱহাৰেৰে ৰাজ্যৰ সুশাসনৰ ব্যৱস্থা কৰিছিল।

—

আহোম আৰু আদি-বৃটিছ যুগৰ ভূমিনীতি আৰু খাজনা

আহোম যুগত ৰজাই আছিল ৰাজ্যৰ সৰ্ব্বেসৰ্ব্বা। কিংবদন্তিমতে আহোমৰ আদি ৰজা খুনলুং (অৰ্থ, উপৰৰ কোঁৱৰ) স্বৰ্গৰপৰা সোণৰ জখলাৰে নামি আহি পোনতে মুংৰিমুংৰাম (অৰ্থ, জনমানৱৰ আৱাস বিহীন পৰিত্যক্ত) ৰাজ্যত ৰজা হৈছিল। ৰজাক সেই বাবেই স্বৰ্গৰ দেৱাত্মা বুলি ভাবি প্ৰজাসকলে স্বৰ্গদেৱ বা স্বৰ্গদেউ বুলিছিল। গতিকে ৰজা ৰাজ্যৰ ভূসম্পত্তিৰ সৰ্ব্বেসৰ্ব্বা হোৱা একো আচৰিত কথা নহয়।

আহোম যুগত আজিৰ দৰে ব্যক্তি-স্বাধীনতা, অন্ততঃ ভূসম্পত্তি সম্পৰ্কীয় ব্যক্তি স্বাধীনতা, কোনো প্ৰজাৰ নাছিল। সমগ্ৰ দেশৰ ভূসম্পত্তি আছিল সৰ্ব্বতোপ্ৰকাৰে ৰজাৰ অধীনত। আগতে কৈ অহা হৈছে যে মোমাই তামুলী বৰবৰুৱাই সপ্তদশ শতিকাৰ আদি ভাগতে দেশৰ মানুহবোৰক বৃত্তি, ব্যৱসায় আৰু বাসস্থানৰ সুবিধা অনুসৰি পৃথক পৃথক খেলত বিভক্ত কৰিছিল আৰু তেনেকৈ থাকিবলৈ দিছিল। এই খেল পাতি থকা প্ৰণালীয়ে সেই যুগৰ শাসনত অদ্ভুত প্ৰকাৰে সহায় কৰিছিল। তেতিয়া টকা-পইচাৰ বিশেষ প্ৰচলন নাছিল। প্ৰজাসকলে ৰজা-ঘৰত আৰু ৰজাৰ প্ৰধান প্ৰধান কৰ্ম্মচাৰীসকলৰ ঘৰত খাটি দিছিল। আলি বন্ধা, পুখুৰী খন্দা, গড় মৰা আদি উন্নয়নমূলীয়া কামবোৰ এনেকৈয়ে হৈছিল।

আগতে কৈ অহা হৈছে যে দেশৰ সাধাৰণ শ্ৰেণীৰ মানুহক পাইক আৰু সম্ভ্ৰান্ত শ্ৰেণীক চমুৱা নামে জনা গৈছিল। পোন্ধৰ বছৰ বয়সৰ পৰা পঞ্চাশ বছৰ বয়সৰ ভিতৰত সাধাৰণ শ্ৰেণীৰ সকলো মতা মানুহে পাইকানী খাটিব লাগিছিল। তাৰ পৰিবৰ্ত্তে প্ৰত্যেক পাইকে দুপুৰাকৈ খেতিৰ মাটি বা গুৱামাটি খাবলৈ পাইছিল। এই মাটিৰ কাৰণে তেওঁলোকে আৰু বেলেগে খাজনা দিব নালাগিছিল, খাটি দিয়াই হৈছিল। ৩।৪ জন লোকৰ একোটা গোট আছিল আৰু গোটৰ পাইকবিলাকে পাল পাতি পাতি ৰজা ঘৰত

কাম কৰিছিল। যিসকলে কিন্তু বিশেষ কাৰণত কাম কৰাৰপৰা ৰেহাই পাইছিল তেওঁলোকে প্ৰত্যেকে দুটকাকৈ খাজনা দিব লাগিছিল। প্ৰত্যেক পাইকক খেতিৰ মাটিৰ উপৰিও শাক-পাচলি আৰু বস্তিৰ কাৰণে এডোখৰ টুকুৰা মাটি দিয়া হৈছিল। তাৰ বাবে তেওঁ বছৰি এটকাকৈ খাজনা দিব লাগিছিল। ইয়াকে ঠাই বিশেষে জন-কৰ আৰু ঠাই বিশেষে জুহাল-কৰ বা জুই শালৰ খাজনা (Poll or Hearth Tax) বোলা হৈছিল। যদি দুপুৰাৰ বেছি কোনো পাইকে দখল কৰিছিল তেন্তে তেওঁ পুৰাত এটকাকৈ ওপৰঞ্চি দখলী জমিৰ কাৰণে খাজনা দিব লাগিছিল। এইবোৰেই আছিল কৃপ-খাজনাৰ একমাত্ৰ স্থল। সোণ আৰু ৰূপৰ মোহৰত বাহিৰেও কড়িৰ ব্যৱহাৰ আছিল ; তামৰ মুদ্ৰাৰ ব্যৱহাৰ অসমত নাছিল।

অখেতিয়কসকলে বেছি নিৰিখে 'পলটেক্স' দিব লাগিছিল। খেতি নকৰাৰ কাৰণে বা অলসতাৰ বাবে এই বেছি খাজনাক একপ্ৰকাৰ জৰিমনা বুলিও ধৰিব পৰা গৈছিল। দ মাটিত আজিকালিৰ দৰে পাম খেতি চলিছিল। তাৰ হাল-কৰ (Plough Tax) মাত্ৰ আছিল। পাহাৰী লোকে অন্য খাজনাৰ পৰিবৰ্তে কোৰ-কৰ (Hoe Tax) দিব লাগিছিল। মন কৰিবলগীয়া কথা এই যে ধান খেতিৰ মাটি মাজে মাজে পুনৰ বিতৰণ হৈছিল। বস্তি মাটি সদায় বাপেকৰ ঠাইত পুতেকেই পাইছিল। মন্দিৰ পৰিচালনাৰ কাৰণে আৰু সম্ভ্ৰান্ত পৰিয়াল কিছুমানক দান হিচাপে কিছু কিছু মাটি দিয়া হৈছিল। সেইবোৰ সেই অনুষ্ঠান বা পৰিয়ালৰ নিজৰ সম্পত্তিৰূপে পৰিগণিত হৈছিল।

---

* The main sources of revenue were the commutation money realised from men who were exempted from personal service, rent paid by Paiks when they cultivated lands in excess of those alloted to them free of charge, house-tax for houses and gardens, hearth tax, royalties on elephants and timbers and rent paid by farmers of mines and frontier traders—. Dr. S. K. Bhuyen

(Introduction : Anglo-Assamese Relations)

মুঠ কথা বজাৰ খাজনা আৰু কৰ্ম্মচাৰীৰ দৰমহাৰ মূল বস্তু আছিল পাইকৰ খাটনি। টকা পইচাৰ প্ৰচলন খুব কম আছিল। খাটনিয়াৰ পাইক-বোৰক সাধাৰণতে কাঁডী পাইক বুলি জনা গৈছিল; কাৰণ যুদ্ধৰ কাৰণে কাঁড় সজাই সিহঁতৰ সাধাৰণ কাম আছিল। কমাৰ, কুমাৰ, তাঁতী, কহাঁৰ তেলী, সোণোৱাল, সোণাৰী, কাৰিকৰ আদি ব্যৱসায়ৰ লোকসকলেও ৰজাৰ ঘৰত খটাৰ সলনি তেওঁলোকৰ তৈয়াৰী বস্তুৰ একোটা নিৰ্দ্দিষ্ট অংশ ৰাজভঁৰালত বা ৰাজকীয় অনুষ্ঠানত বিনামূল্যে নিয়মীয়াভাবে যোগান ধৰিব লাগিছিল। পদোন্নতি লাভ কৰি কাঁডী পাইকবিলাক মানুহ চমুৱা হৈছিল আৰু চমুৱা হলে খাটনিৰপৰা ৰেহাই পাইছিল। উচ্চ জাতিৰ সম্ভ্ৰান্ত লোক আৰু চমুৱা শ্ৰেণীয়ে এইদৰে খাটনিৰ সলনি নিৰ্দ্দিষ্ট কৰ শোধাইছিল। আগতে কোৱা হৈছে যে ৰজা দিনীয়া বিৰাট আলি, গড়, দৌল, পুখুৰীবোৰ এনেকৈয়ে নিৰ্ম্মাণ হৈছিল ৰাজকৰ্ম্মচাৰীয়ে দৰমহাৰ পৰিবৰ্ত্তে ঘৰত খটাবলৈ পোৱা পাইকক লিকচৌ বোলা হৈছিল। আহোম যুগৰ লগুৱা লিকচৌৰ কথা আজিও অসমীয়া মানুহৰ মুখে-মুখে।

কামৰূপ জিলাত চন্দ্ৰকান্ত সিংহ (১৮১০—১৮১৮ চন) ৰজাৰ দিনৰপৰা এটা ঘৰমূৰি কৰ লগোৱা হৈছিল। ইয়াৰ নাম আছিল 'থৰিকটন'। এই কৰ মানসকলেও তুলিছিল আৰু থৰিকা একোছা সৰৱত জমা দি সিমান টকা উঠিব লাগে বুলি কৰ্মচাৰীক নিৰ্দ্দেশ দিয়াৰ কথা জেনকিন্স চাহাবেও ১৮৪৯ ৫০ চনত অসমত ৰাজহ সম্বন্ধে লিখা তেওঁৰ বিৱৰণিত উল্লেখ কৰিছে।

ঠিক তেনে ধৰণৰ অন্য এটা কৰ সমসাময়িকভাৱে নগাঁও জিলাত আৰু উজনি অঞ্চলত লগোৱা হৈছিল— নাম 'গাওধন' বা 'গা-কৰ' (body tax)। এই কৰৰ হাৰ আছিল পাইকৰ জনমূৰি এটকা।

দৰং (আজিকালিৰ মঙ্গলদৈ) অঞ্চলত তেনে ধৰণৰ অন্য এটা কৰ লগোৱা হৈছিল—নাম 'জুইশাল-কৰ' (hearth tax)। পৃথগন্ন বা বেলেগতীয়া প্ৰতিঘৰ গিৰীৰ ওপৰত এই কৰ লগোৱা হৈছিল।

ওপৰত উল্লেখ কৰা এই আটাইবোৰ কৰ মূল খাজনাৰ ওপৰকি হিচাপে ধৰা হৈছিল আৰু উনবিংশ শতিকাৰ আৰম্ভণিতে এইবোৰৰ প্ৰকোপ ৰবকৈ চৰিছিল।

পুৰণি কাকত পত্ৰৰপৰা জনা যায় যে আহোম ৰজাসকলৰ ভিতৰত পোনতে শিৱসিংহ ৰজাই ১৭৪১-৪৩ চনত ৰীতিমতে অসম দেশৰ মাটিৰ পিয়ল বা জৰীপ কৰায় আৰু সেই কাম তেওঁৰ উত্তৰাধিকাৰী প্ৰমত্তসিংহই ১৭৪৬ চনত শেষ কৰে। এই জৰীপৰ সবিশেষ কাকত-পত্ৰ পোৱা নাযায়।

ইয়াতে উল্লেখ কৰা উচিত যে উজনি অঞ্চল আৰু কামৰূপৰ খাজনা পাতিৰ ব্যৱস্থা বহু পৰিমাণে পৃথক ধৰণৰ আছিল। কামৰূপ আহোমৰ ৰাজত্বৰ সময়ত হৈ পৰিছিল আহোম আৰু মোগলৰ দন্দৰ কঠীয়া-তলী। সেই বাবেই কামৰূপত আহোমৰ আৰু মোগলৰ ৰাজহ-নীতিৰ সংমিশ্ৰণ ঘটিছিল। আহোমৰ খেল আৰু মোগলৰ পৰগণা—দুয়ো প্ৰকাৰ বিভাগ কামৰূপত আছিল। ৰাজহ আদায় কৰাৰ সুবিধার্থে কামৰূপক ২৬টা পৰগণাত বিভক্ত কৰি একোজন চৌধৰীৰ তলত ৰখা হৈছিল। অৰ্থাৎ কোনো সীমাবদ্ধ স্থানৰ চতুৰ্দিশৰ অধিকাৰী। সেই বাবেই বৃটিছ যুগৰো আদি ভাগত কামৰূপৰ মৌজাদাৰক চৌধাৰী বোলা হৈছিল। চৌধাৰীসকলে ৰায়তৰপৰা তোলা খাজনাৰ একোটা নিৰ্দিষ্ট অংশ পাইছিল। ৰজাঘৰত কাম কৰিব-লগীয়া কামৰূপীয়া পাইকবোৰে খাটনিৰ সলনি প্ৰায়ে টকা দিছিল। বৃটিছৰ যুগত স্কট চাহাবে চন্দ্ৰকান্ত সিংহই লগোৱা কামৰূপৰ ঘৰমুৰি কৰ আৰু পাইকৰ কৰ উঠাই দিয়ে। বঙ্গদেশত চৌধাৰীৰ কাম কৰা সেই একে বিষয়াকে চৌধুৰী নামে জনা গৈছিল। পিছত অসমতো চৌধুৰী শব্দ চৌধাৰীৰ পৰিবৰ্তে ব্যৱহাৰ হয়।

দৰঙৰ (মঙ্গলদৈৰ) শাসন-কাটলৰ নীতি কিছু সৰল ধৰণৰ আছিল। অনেক বিষয়ত দৰঙী ৰজা সম্পূৰ্ণৰূপে স্বাধীন আছিল। সেইবাবেই আহোম আৰু মোগলৰ যুদ্ধৰ খলকনিয়ে নোপোৱা দৰং অঞ্চলত সেই সময়ত একপ্ৰকাৰ স্থানীয়া সুকুমাৰ কলা গঢ়ি উঠিছিল। ওজাপালি, দেওধনী নৃত্য আদি তাৰেই চিন স্বৰূপ।

দৰঙৰ মুঠ পাইক আছিল ২১,৫০০ জন। তাৰে এক চতুৰ্থাংশ মাত্ৰ বৰমুকলৰ ওচৰলৈ ৰাজকৰা কামত খটাবলৈ পঠোৱা হৈছিল। বাকীবোৰে দৰঙী ৰজাঘৰ বা ৰাজকৰ্মচাৰীৰ ঘৰত দৰঙতে খাটিছিল। ৰাণী, বেলতলা, ডিমৰুৱা আদি ৰাজ্যৰ ৰজাই স্বেচ্ছাৰে কিছু সংখ্যক পাইক আহোম ৰজালৈ পঠাইছিল।

আহোম ৰাজত্বত দোষীৰ দণ্ড বৰ উগ্র ধৰণৰ আছিল। হাত-ভৰি কটা, আঠুৰ ঘিলা কঢ়া, চকু এণা কৰা, তপত লোহাৰ চেন দিয়া আদি শাস্তিৰ দ্বাৰা দেশৰ চোৰ-ডকাইত, বিদ্রোহ-অশান্তি আদি দমাই ৰখা হৈছিল। ইয়াৰ দ্বাৰা কিন্তু ইয়াকে বুজিব নালাগে যে প্ৰজাৰ ওপৰত বিনা কাৰণতে অত্যাচাৰ চলিছিল। দুষ্টক দমন, শান্তক পালন এয়ে আছিল আহোম ৰজা সকলৰ শাসন-নীতি। ৰাজ-বিদ্রোহ এবো প্ৰকাৰে সহ্য কৰা নহৈছিল।

ইংৰাজসকলে পিছত নিজৰ শাসনৰ অধীনলৈ দেশখন নিছিল যদিও ভালেমান দিনলৈ তাৰ শাসন-পদ্ধতিত হাত দিয়া নাছিল। কেৱল বছৰত প্ৰত্যেক বাড়ত বা পাইকে পাল পাতি ৩।৪ মাহ ৰজা ঘৰত খাটি দিব লগীয়া হোৱাৰ ঠাইত ইংৰাজৰ আমোলত তেওঁলোকে বছৰি জনমূৰি তিনি টকাকৈ কৰ দিব লগীয়া হৈছিল। খেলৰ বৰা, হাজৰিক, আদি বিষয়াসকলৰ জৰিয়তে এনেবোৰ খাজনা তোলা টান হব বুলি অনুমান কৰি মৌজা আৰু মহলৰ সৃষ্টি কৰা হৈছিল। প্ৰত্যেক মৌজাত বা মহলত সুবিধা অনুসৰি পাতি দিয়া মৌজাদাৰ, বিষয়া, কাগতি বা পাটগিৰিয়ে খাজনা তুলিছিল। এই জনমূৰি টেক্সেই শীঘ্ৰে মাটিৰ খাজনাৰ ঠাই দখল কৰিলে। ক্ৰমে ক্ৰমে মাটিৰ জোখ প্ৰৱৰ্তন হ'ল। এই জোখ বা জৰীপ ধৰিবৰ কাৰণে পোনতে কেপ্টেইন মেথি (Mathie), কেপ্টেইন ৰাথাৰফড (Rutherford) আৰু বগল চাহাবক (Bogle) কলেক্টৰ পাতি ক্ৰমে দৰং, নগাঁও আৰু কামৰূপত নিযুক্ত কৰা হৈছিল। তেওঁলোকৰ জৰীপতে মাটি প্ৰথমে বস্তি (homestead), ৰূপিত (agricultural) আৰু ফৰিঙতি (high land) এই তিনি শ্ৰেণীত বিভক্ত হৈছিল। আজিও কামৰূপৰ মানুহে বগল চাহাবৰ জৰীপক বগলা চাহেবৰ জৰীপ বুলি কথাই কথাই উল্লেখ কৰে। মুঠতে ইংৰাজ শাসনত পাইকৰ খাটান উঠি যায় আৰু বাৰীমাটি, খেতিৰ মাটি আৰু শাক-পাচলিৰ বাগিচা আদি সকলোৰে কাৰণে প্ৰত্যেক মানুহে তিনি টকাকৈ খাজনা দিবলগীয়া হয়।

মহল বা মৌজাত দেশখন ভাগ কৰাৰ লগে লগে খাজনা বছৰেকীয়া নিৰিখত ধাৰ্য্য কৰা হয়। এই নিৰিখ আৰু বন্দবস্তমতে মৌজাদাৰ আৰু চৌধাৰীসকলে ১৮৩২ চনৰ পৰা ১৮৫৩ চনলৈ খাজনা তুলিছিল। ১৮৫৪ চনত আকৌ বস্তি, ৰূপিত, ফৰিঙতি শ্ৰেণীৰ প্ৰবৰ্তন হোৱাৰ লগে লগে

খাজনাৰ নিৰিখ লবে। বেলেগ জিলাত বেলেগ নিৰিখ ধাৰ্য্য হয়। কামৰূপতে আটাইতকৈ উচ্চ নিৰিখ হয়। তেতিয়া কামৰূপত ৰুপিত মাটিৰ বিঘাত ছ-অনা আৰু অন্যান্য শ্ৰেণীৰ মাটিৰ চাৰি অনা আছিল। ১৮৭০ চনলৈ এই নিৰিখ চলিছিল। ১৮৭০ চনত ব্ৰহ্মপুত্ৰ উপত্যকাৰ পাঁচখন জিলাত তলত লিখা নিৰিখত খাজনা ধৰা হয়—

বস্তি বিঘাত—১·০০
ৰুপিত ”—১·৩২
ফৰিঙতি ”—·৫০

এই বছৰতেই মাটিৰ জোখ-মাখত সহায় কৰিবলৈ মণ্ডলৰ সৃষ্টি কৰা হয়। মৌজাদাৰক মাটি পট্টনবো ক্ষমতা দিয়া হ'ল। এই সময়তে মৌজাদাৰী টীৰ আৰু মাটিৰ মৌজাদাৰী জোখ ওলায়। মৌজাবোৰক দুশৰ অধিক শিৰীৰ অনেক গাঁৱত বিভক্ত কৰা হয়। প্ৰত্যেক গাঁৱৰ খাজনা সংগ্ৰহ, মাটিৰ পট্টন আদিৰ কামত মৌজাদাৰক সহায় কৰিবলৈ এজোন মণ্ডল পাতি দিয়া হৈছিল। মণ্ডল আৰু মৌজাদাৰে মাটি জুখি এটা বহীত তাৰ মাপ আনিব লাগিছিল। এই বহীকে চিঠা বোলা হৈছিল। চিঠাৰ পৰাই খতিয়ান আৰু জমাবন্দী তৈয়াৰ কৰি ৰায়তৰ মাটি আৰু খাজনা নিৰ্ণয় কৰা নিয়ম আছিল। এই চিঠা-জমাবন্দী আজিকোপতি চলি আছে। নিয়মীয়া পট্টন (Regular settlement) আৰু দবিয়াবাদী পট্টন (supplementary settlement) এই সময়ৰপৰাই ওলায়। প্ৰত্যেক বছৰৰ :লা জুনতেই মৌজাদাৰে জোখমাখৰ কাগজ দাখিল দি আগষ্টৰ শেষত চৰকাৰৰপৰা যি সিদ্ধান্ত পাইছিল—সেয়ে আছিল নিয়মীয়া পট্টন আৰু চেপ্তেম্বৰৰ পৰা পুনৰ জ'ৰীপ কৰি আবাদী মাটিবোৰৰ হিচাপ ১৫ জানুৱাৰীত দাখিল দি যি পট্টনৰ ব্যৱস্থা কৰা হৈছিল সেয়ে আছিল দবিয়াবাদী পট্টন। এই দুয়োবিধ পট্টনৰ মূঠ খাজনাৎ মৌজাদাৰৰ মূঠ সাধনী আছিল। তেতিয়াৰ মৌজাদাৰৰ অৱস্থাটো বৰ আমোদজনক আছিল। তেওঁ আছিল চৰকাৰৰ ঘৰৰ ঠিকাদাৰ : খাজনা সাৰি 'কমিচন' খোৱা ঠিকাদাৰ। ইফালে হাততেই আছিল মাটিৰ জোখমাখৰ সমস্ত চাবি-কাঠী।

ৰায়তক স্থায়ী মহলত অৰ্থাৎ য'ত মানুহ সহজে উঠি যোৱাৰ সম্ভাৱনা নাই তেনে ঠাইত এক বছৰৰ পৰা বহু বছৰলৈ থুচিমতে পট্টন লবলৈ দিয়া

দিয়া হৈছিল। একাধিক দহবছৰ পট্টাৰ জমি হস্তান্তৰ হব পাৰিছিল; বহু-বেকীয়া পট্টাবোৰ নোৱাৰিছিল। হস্তান্তৰ সময়ত ডেপুটী কমিচনাৰৰ অফিচত ৰেজিষ্টাৰ কৰিব লাগিছিল। তিনি মাহৰ আগজাননী দি পট্টাদাৰে পট্টা ইস্তফা দিব পাৰিছিল। মাটিৰ ম্যাদি স্থায়ী ব্যৱস্থা তেতিয়াও হোৱা নাছিল। কিন্তু দহ বছৰ পৰ্য্যন্ত একাধিক বছৰৰ পট্টাক স্থায়ী পট্টা বোলা হৈছিল। স্থায়ী পট্টাৰ জমি হস্তান্তৰ হব পৰাৰ ফলতেই ৰাইজক জমিৰ ওপৰত মালিকৰ স্বত্ব দান কৰিলে। ইয়াতেই জমিৰ ওপৰত পট্টাদাৰৰ স্বত্ব ওপজাৰ সূত্ৰপাত হয়; ইয়াৰ আগতে জমি আছিল ৰাজহুৱা বা ৰজাঘৰীয়া সম্পত্তি।

উপৰোক্ত ব্যৱস্থা ১৮৭০ চনৰপৰা ১৮৮৩ পৰ্য্যন্ত চলিছিল। ১৮৮৩ চনৰ ১লা এপ্ৰিলৰপৰাই ১৮৯৩ চনলৈ পোন প্ৰথমে দহচনীয়া পট্টাৰ আবিৰ্ভাৱ হয়। ৰায়তৰ দখলৰ জমি স্পষ্টকৈ জানিবৰ কাৰণে আৰু চোৰাং খেতিবোৰ ধৰিবৰ কাৰণে ১৮৮২ চনত কেডেষ্ট্ৰেল জৰীপ বিজ্ঞান সন্মত প্ৰণালীত আৰম্ভ কৰা হয়। দহ বছৰ এই কাম চলোৱাৰ পিছত যেতিয়া দেখা গ'ল যে কাম এক দশাংশও হোৱা নাই, ইফালে খৰছ বাৰ লাখ টকাৰো ওপৰ হ'লেই তেতিয়া কেডেষ্ট্ৰেল জৰীপ প্লেন টেবুলৰ সহায়ত কৰিবলৈ স্থিৰ হ'ল। মণ্ডলক জৰীপ ভালকৈ শিকাই ছৰভিপুটীৰ তলত কাম কৰিবলৈ দিয়া হ'ল। ছৰভিপুটিবো সৃষ্টি হয় ১৮৯৩ চনত। মণ্ডল, ছৰভিপুটী আদিৰ জৰীপ লোৱৰ কাৰণে আৰু মাটি সম্পৰ্কীয় অন্যান্য সমস্যাৰ বিষয়ে ভাবিবৰ কাৰণে সেই বছৰতে সমস্ত প্ৰদেশত এজন ডিৰেক্টৰ অব লেণ্ড ৰেকৰ্ডচ নিযুক্ত কৰা হয়। ১৯০৩ চনত দহ চনীয়া পট্টাৰ অৱসান ঘটাত কি ধৰণৰ পট্টা কাৰ্য্যকৰী হব তাকে লৈ কিছুদিন ওপৰ মহলত লিখালিখি, তৰ্ক-বিতৰ্ক বাক-বিতণ্ডা আদি চলিছিল। শেষত মুলাৰ (পিছত চাৰ বেম্ফিল্ড ফুলাৰ) চাহাবে আৰম্ভ কৰি দিয়া, মাটিৰ অৱস্থা অনুযায়ী কৰা বিভাগ (soil unit system) বোৰ ধৰি লোৱা হয়। সেই মতে অকল কামৰূপ জিলাতে মাটিৰ ৪৮টা শ্ৰেণী ওলায়। এইদৰে ১৯০৬ চনৰপৰা কুৰিচনা পট্টা আৰু তাৰ পিছত ত্ৰিশ চনা পট্টাৰ চলন্তি হয়। পৰিবৰ্তনৰ মাজেদি এই নিয়ম এতিয়ালৈ চলি আছে।

অসমৰ বিভিন্ন ধৰণৰ জমিৰ চমু ইতিবৃত্ত

অসমত লাখেৰাজ, নিস্পিখেৰাজ, ফি চিম্পোল গ্ৰেণ্ট, খেৰাজ একচনা, খেৰাজ ম্যাদি, বিশেষ ম্যাদি আদি নানা পৰ্য্যায়ৰ জমি পোৱা যায়। এইবোৰৰ প্ৰত্যেকৰে স্বকীয় স্বকীয় ইতিবৃত্ত আছে। তাৰে গোটাচেৰেক ইয়াত আলচ কৰা হব।

প্ৰথমতে লাখেৰাজৰ কথাই কোৱা ভাল। কিয়নো লাখেৰাজ ভূমিক ভূমিৰ ৰজা বুলি কোৱা হয়। এই ভূমিৰ অংক অবল নিষ্কৰেই নহয় নিলামত যোৱাৰ পিছতো পূৰ্ব্বৰ লাখেৰাজদাৰে লগাই থোৱা লেঠাও গা-পাতি লোৱা বিধৰ সম্পত্তি। অন্য সম্পত্তি বা জমি মালিকৰ দেনাৰ বাবে নিলামত গলে নিলামদাৰ তাৰ ওপৰত উঠি-ৰজা বহি-ৰজা হৈ পৰে। সেই জমি বা বস্তু অন্য কাৰবাত বন্ধক থাকিলেও বা দানত গৈ থাকিলেও সেইবোৰ দান-বন্ধকি আদিৰ পূৰ্ব্ব-লেঠাই নিলামদাৰক নাপায়হি। কিন্তু লাখেৰাজ ভূমি নিলামত ডাকি নিব লাগিলে—সেইবোৰ লেঠাই এৰি নিদিয়ে; আগৰ লাখেৰাজদাৰক পোৱাৰদৰে নিলামদাৰৰ ডিঙি পায়গৈ। এনেবোৰ কাৰণতে লাখেৰাজক ভূমিৰ ৰজা বুলি মনা হয়।

“কণা হওক, কুঁজা হওক, ভূঞাৰ পোৱালি;

ফটা হওক, চিটা হওক, পাটৰ টঙালি।”—অসমীয়া মানুহে আজিলৈ সামাজিক সকলো কামতে এই নীতি মানি আহিছে। মনীষীৰ মান মাজনিশাও নেহেৰায় বুলি অসমীয়া লোকে সদায় কৈ আহিছে। সেই বাবেই যিকোনো বস্তুকেই বাতি দিবলৈ হলে সমজুত সদায় মানী লোক কেইজনৰ আগতহে আগে নি আগভাগটো দাঙি ধৰা হয়। সেই নীতিকে মানি জমিৰ ৰজা লাখেৰাজৰ কথা প্ৰথমতে উল্লেখ কৰা সমীচীন হব।

খেৰাজ বা খেৰাজী শব্দই আৰবীত খজনা বুজায়। লা মানে নাই; গতিকে লা-খেৰাজ মানে খাজনা নোহোৱা। লাখেৰাজ মাটিৰ লেই

গতিকে প্ৰথম অৰ্থ খাজনা নলগোৱা মাটি বা নিষ্কৰ ভূমি। এনেকুৱা নিষ্কৰ ভূমি আহোম ৰজাসকলৰ দিনত অনেক আছিল। কাৰণ—বিখ্যাত দেৱ-মন্দিৰ, বিশিষ্ট ব্ৰাহ্মণ, বিদ্বান ব্যক্তি আদিক আহোম ৰজাসকলে বৰকৈ মানিছিল আৰু এই সকলৰ ভৰণ-পোষণৰ অৰ্থে নিষ্কৰকৈ ভূমিদান দিছিল। সেই ভূমিকে চলাই-মেলি তাৰ উৎপন্নেৰে সেই সেই অনুষ্ঠানবোৰ আৰু ব্যক্তিসকল বৰ্ত্তি আছিল। এই ভূমিবোৰ নানা শ্ৰেণীত বিভক্ত আছিল দেৱোত্তৰ, ব্ৰহ্মোত্তৰ, ধৰ্মোত্তৰ, ভোগবন্দী, পাইকান ইত্যাদি। যাৰ অৰ্থে দান কৰা হৈছিল—তদনুযায়ী নামকৰণ হৈছিল।

উপৰোক্ত নিষ্কৰ জমিশ্ৰেণীক বুজাবৰ কাৰণে 'লাখেৰাজ' শব্দটো পোনতে কোনে কেতিয়া ব্যৱহাৰ কৰিছিল তাক সঠিককৈ কোৱা নাযায়। খুব সম্ভৱ ইংৰাজসকল অহাৰ কিছুকাল পূৰ্বে মুছলমান আক্ৰমনকাৰীসকলৰ লগত হোৱা সঘন সংঘৰ্ষৰ ফলত এই শব্দ বৈ যায় আৰু তাকেই ব্যৱহাৰত সুচল পাই ইংৰাজ শাসনকৰ্ত্তাসকলে আৰু স্থানীয় লোকে ব্যৱহাৰ কৰে। কোনো অনুষ্ঠানৰ নামৰ সম্পত্তি নহলে লাখেৰাজসকলে পুত্ৰপৌত্ৰাদিক্ৰমে ইয়াক নিষ্কৰভাৱে ভোগদখল কৰি থাকিব পাৰে।

নিস্পিখেৰাজ

অসম দেশ যেতিয়া বৃটিছৰ অধীনলৈ গ'ল তেতিয়া ইংৰাজ শাসনকৰ্ত্তাসকলে প্ৰচাৰ কৰি দিলে যে তেওঁলোকৰ ৰাজত্বত কোনেও—অনুষ্ঠানেই হওক বা ব্যক্তিয়েই হওক—কোনেও পুৰণি কিবা স্বত্বৰ ওপৰত নিৰ্ভৰ কৰি নিষ্কৰ বা লাখেৰাজ মাটি খাব নোৱাৰিব। অৰ্থাৎ সকলো মাটিৰ ওপৰত যেনে বিবেচিত হয় সেইভাৱে কৰ লগাবলৈ শাসক ইংৰাজসকলৰ সম্পূৰ্ণ স্বত্ব থাকিব। অসমৰ প্ৰথম কমিচনাৰ মিষ্টাৰ স্কট চাহেবেই এই অনুজ্ঞা প্ৰচাৰ কৰি দিছিল। কাৰণ, তেওঁ অনুসন্ধান কৰি জানিব পাৰিছিল যে ৰজাই নিষ্কৰ ভূমিৰ ওপৰতো মানৰ আক্ৰমণৰ দৰে আপদ-বিপদৰ সময়ত কেতিয়াবা কেতিয়াবা খাজনা লগাইছিল। মানৰ দিনত আহোম ৰজাসকলেই লাখেৰাজ মাটিৰপৰা পূৰাত পাঁচ অনাকৈ খাজনা তুলিছিল। এই যুক্তিকে দেখুৱাই কোৱা হ'ল যে খাজনা লগোৱা-নলগোৱাটো ৰজা বা শাসনকৰ্ত্তাৰ ইচ্ছাৰ কথা, প্ৰজা বা অনুষ্ঠানৰ দাবী হব নোৱাৰে।

মিষ্টাৰ স্কটে সেই নীতিকে লৈ লাখেৰাজ মাটিবোৰৰ ওপৰতো পুৰাত পাঁচ অনা নিৰিখে খাজনা লগালে। অকল সেয়ে নহয়, এই খাজনা কিছুদিনৰ পিছতেই বঢ়াই পুৰাত ঠাই বিশেষে সাত অনা আৰু ঠাই বিশেষে আঠ অনা কৰিলে। পাঁচ অনাৰ ওপৰত বঢ়োৱা এই দুই বা তিনি অনা বৰ্দ্ধিত খাজনাৰ নাম দিয়া হৈছিল 'পুলিচ বৰঙনি' অৰ্থাৎ মানৰ উপদ্ৰৱৰ পৰা প্ৰজাক শান্তিত ৰাখিবৰ কাৰণে পুলিচ ৰাখিবলৈ প্ৰজাৰ ই আছিল এটা বৰঙনিহে, চৰকাৰে লগোৱা কৰ নহয়। ইয়াকে জানো নকয় বোলে "মাছ বুলি নাখায়, কিন্তু জিজি বুলি খায়?"

সেই পৰ্ব্ব সেইদৰে গ'ল। মিষ্টৰ স্কটৰ পিছতে জেনেৰেল জেনকিন্স আহিল কমিচনাৰ হৈ। ইতিমধ্যে ভাৰত-চৰকাৰেও মিষ্টাৰ স্কটৰ প্ৰস্তাৱকে গলাগি সমৰ্থন কৰি গইনাই কৈ পঠিয়ালে যে অসমৰ বৃটিছ অধিকৃত সকলো ঠাইতে বৃটিছে খাজনা লগাব পাৰিব, কিন্তু অৱস্থা বুজি তেওঁলোকে পূৰ্ব্বৰ নিষ্কৰ ভূমি কিছুমান ইচ্ছা কৰিলে নিষ্কৰ কৰিয়ে ৰাখিব পাৰিব। এই খিনিতেই শাসকৰ সম্পূৰ্ণ মৰ্জ্জি আহি পৰিল।

জেনেৰেল জেনকিন্স বিবেচক শাসনকৰ্ত্তা আছিল। হকবক নোহোৱাকৈ পোনেই সকলো জমিতে খজনা লগাই প্ৰজাৰ মনত আঘাত দিয়া উচিত নহব বিবেচনা কৰি তেওঁ লাখেৰাজ জমিবোৰক বিভিন্ন শ্ৰেণীত ভগালে। লাখেৰাজৰ দুটা থাই বিভাগ কৰা হ'ল, যেনে—১ দেৱোত্তৰ আৰু ২। ব্ৰহ্মোত্তৰ আৰু ধৰ্ম্মোত্তৰ। কি নীতিত এই বিভাগ কৰা হৈছিল তাৰ স্পষ্ট নিৰাকৰণ নাই। দেৱোত্তৰৰ ভিতৰতে পাইকান আৰু ভোগধনী জমিও হৈছিল। এই বিভাগ কেইটাক এনেকৈ ব্যাখ্যা কৰা যায়: দেৱতাৰ মন্দিৰ আদি থকা ঠাইবোৰক দেৱোত্তৰ আখ্যা দিয়া হ'ল। সেই দেৱ মন্দিৰত যিসকল পাইকে কাম কৰিছিল তেওঁলোকক ঘৰ সাজি থাকিবলৈ আৰু শাক-পাচলি কৰি খাবলৈ যি অলপ অচৰপ জমি দিয়া হৈছিল তাকে বোলা হৈছিল পাইকান লাখেৰাজ। যিখিনি ঠাইত দেৱতাৰ মন্দিৰৰ ভোগৰ কাৰণে খেতি-বাতি কৰোৱা হৈছিল সেই ঠাইক ভোগধনী লাখেৰাজ নাম দিয়া হৈছিল।

গুণবান ব্ৰাহ্মণ বা গোসাঁইক বৃত্তি ৰখাৰ কাৰণে ৰজাই যি নিষ্কৰ ভূমি দান কৰিছিল তাকেই ব্ৰহ্মোত্তৰ আৰু যজ্ঞাদি অনুষ্ঠান আৰু বিধান পণ্ডিত

লোকক ভূমিদান কৰি ৰজাই যি ধৰ্ম কৰিছিল তাকেই ধৰ্মোত্তৰ বোলা হৈছিল। এই তৃতীয় শ্ৰেণীৰ জমি কালক্ৰমত পুৰুষানুক্ৰমে চলি অহাত এইবোৰ ঠায়ে ঠায়ে অযোগ্য লোকৰ হস্তলৈও পিছলি গৈছিল। ইয়াতেই ছেলু পাই এই শ্ৰেণীৰ জমিৰ ভূমিৰ ওপৰত জেনকিন্স চাহাবে আধা খাজনা ধাৰ্য্য কৰিলে আৰু তাৰ নাম দিলে নিস্পিখেৰাজ ভূমি। আধা খাজনা মানে সেই সময়ত চলিথকা সেই শ্ৰেণীৰ ভূমিৰ যি খাজনা তাৰ আধা। ১৮৭৯ চনত এই নিস্পিখেৰাজ ভূমিবোৰত উত্তৰাধিকাৰী স্বত্ব হস্তান্তৰ চৰকাৰীভাৱে মানি লোৱা হয়। ইয়াৰ পৰা এইটো স্পষ্ট হয় যে নিস্পি-খেৰাজ ভূমি এসময়ত লাখেৰাজ বুলিয়েই পৰিগণিত আছিল। লাখেৰাজ ভূমিৰ পৰা পাৰ্থক্য দেখুৱাবলৈ অৰ্দ্ধৰাজহৰ এইবোৰ জমিৰ "নিস্পিখেৰাজ" নামকৰণ হৈছিল ১৮৭১ চনত।

নিস্পিখেৰাজ মাটিৰ যদিও আধা খাজনা বুলি সকলোৱে জানে তথাপি কোনো কোনো ক্ষেত্ৰত ইয়াৰ গৰাবাদ বা জঙ্গল পৰি থকা অংশত খাজনা লগোৱা নহয়। সেইবাবে নিৰ্দ্দিষ্ট কালৰ মূৰে মূৰে নিস্পিখেৰাজ মাটিবোৰ জ'ৰীপ কৰাই পট্টন আৰু আবাদ হোৱা জমিত আধা খাজনা লগাবৰ বিধি আছে। সেই নিৰ্দ্দিষ্ট সময়লৈকে ইতিমধ্যে পট্টাদাৰে পট্টন বা নীজ যি জমি আবাদ কৰাই লাভবান হলেও চৰকাৰে সেইটো নধৰে। কিন্তু নিৰ্দ্দিষ্ট সময়ৰ জ'ৰীপত যদি পট্টাদাৰে চৰকাৰক প্ৰবঞ্চনা কৰিবৰ অভিপ্ৰায়ে বুজিবে কোনো আবাদী জমি পতিত বা গৰাবাদ বথা পোৱা যায় তেন্তে সেই ভূমিত সম্পূৰ্ণ খাজনা (অৰ্দ্ধ খাজনা নহয়) লগাবৰো ব্যৱস্থা আছে।

মঙ্গলদৈৰ দৰঙ্গী ৰজাৰ পৰিয়ালসকলৰ যি নিস্পিখেৰাজ মাটি আছে সেইবোৰৰো আবাদী অংশত আধা খাজনাৰ নিৰিখ ধৰা হয়। কিন্তু সেই নিস্পিখেৰাজ ভূমিবোৰ দৰঙী ৰজাৰ ৰাজপৰিয়ালৰ পৰা হস্তান্তৰ হলে সেই বোৰত সম্পূৰ্ণ খাজনা লাগে। ইও একপ্ৰকাৰ বিশেষ নিস্পিখেৰাজ, কিয়নো দান-বিক্ৰীৰ দ্বাৰা হস্তান্তৰ হলেই এই জমি, নিস্পিখেৰাজ হৈ নাথাকে।
খেৰাজ হয়।

আউনিআটী সত্ৰৰ নিস্পিখেৰাজ মাটিবোৰ আকৌ অন্য এক প্ৰকাৰৰ নিস্পিখেৰাজ। এই নিস্পিখেৰাজ মাটিবোৰৰ বস্তি অংশতহে মাথোন অৰ্দ্ধ নিৰিখৰ খাজনা লাগে; বাকীবোৰত খাজনা নাই।

চমুৱা ভূমি

সম্পূৰ্ণ খাজনাৰ মাটিক খেৰাজ বোলা হয়। খেৰাজ পট্টাদাৰে সাধাৰণতে মৌজাদাৰক খাজনা শোধাব লাগে। কিন্তু এক শ্ৰেণীৰ খেৰাজ পট্টাদাৰ আছে যিসকলে খাজনা মৌজাদাৰক নোশোধাই পোনেই নি 'ট্ৰেজাৰিত' জমা দিবগৈ পাৰে। এনে ভূমিকে চমুৱা-ভূমি বোলা হয়। এনেকুৱা চমুৱা-ভূমিৰ পট্টা মাত্ৰ দুখন, আৰু দুয়োখনে কামৰূপ জিলাত।

বিশেষ বন্দবস্তিৰ গ্ৰেণ্ট

"কাকো পৰিল, তালো সৰিল" বুলি এটা চলিত কথা আছে। তাৰ মানে তালফলটো গছৰপৰা পাৰি দিয়া কাউৰীৰ উদ্দেশ্য নাছিল; তাল-ফল আপোনাআপুনিয়ে সৰিলহেঁতেন, কিন্তু কাউৰীজনী অকস্মাৎ গৈ সেই গছত্ৰ পৰাত ফলটো সৰিলত কাউৰীৰ গাতেই জগৰ লাগিল। তেনেকুৱা ঘটনাক কাকতালী ঘটনা বোলে। অসমৰ হাবিত চাহ আবিষ্কাৰ হোৱা আৰু অসমৰ জঙ্গলবোৰৰ পট্টন দিয়াৰ কথাও তেনেকুৱা ঘটনায়ে। কোনে চাহ গছ আবিষ্কাৰ কৰিলে সেই বিষয়ে মতভেদ আছে। কাৰো কাৰো মতে ৰবাৰ্ট ব্ৰুচ নামে চাহাবে মানৰ হাতত ১৮২৩ চনত ৰংপুৰ চহৰত বন্দী হৈ থকা কালত কোনো এজনা বুঢ়া চিংফৌৰ সহায়ত এই গছ আবিষ্কাৰ কৰিছিল। কোনোৱে আকৌ মনিৰাম দেৱানেই পোনতে অসমত চাহগছ দেখিছিল বুলি কব খোজে। অন্য কাৰো মতে আকৌ অন্য কোনো চাহেবেহে আবিষ্কাৰ কৰিছিল।

পিছে চাহ গছ যিয়েই আবিষ্কাৰ নকৰক লাগিলে, চাহৰ খেতিৰ আৰম্ভণিয়ে যে অসমৰ ভূমি-পট্টনৰ নীতিত এটি আলোড়নপূৰ্ণ পৰিবৰ্তন আনিছিল সেইটো হলে স্বীকাৰ নকৰি নোৱাৰি। পৰ্বত-পাহাৰ হাবি-জঙ্গল, বিল-পথাৰেৰে ভৰা প্ৰকৃতি জীয়ৰী অসমী আইৰ কোলাত বিবিধ জাতিৰ এমুঠি লোকে অতীতৰেপৰা মিলিজুলি থাকি বৈচিত্ৰ্যৰ মাজত বিৰাজ কৰা ঐক্য-বন্ধনৰ সাক্ষ্য দি আহিছে। ইংৰাজসকল অসমলৈ অহাটোও অসমীয়া প্ৰবচনৰ "মই আছিলোঁ জাল বৈ, মোক অ'নিলে বামুণটোকৈ"ৰ লগত খাটে। ইংৰাজসকলৰ অসম অধিকাৰ কৰি নিজ শাসনৰ তললৈ নিয়া উদ্দেশ্য সমূলি নাছিল। কিন্তু, অথ'চিত্তে অহা লক্ষীক জানো ইংৰাজৰ দৰে বেপাৰী

সদাগৰ কেনোৱে পৰিহাৰ কৰিব পাৰে? অসম তেওঁলোকৰ হাতলৈ গ'লত অসমৰ অটব্য অৰণ্য আৰু দুৰ্গম পৰ্ব্বতবোৰে তেওঁলোকৰ মগজুত শাসন-সমস্যাৰ উত্তাপ সৃষ্টি কৰিলে। হাবি-জঙ্গলবোৰ, মাটি খাওয়াওৰ সৃজন কৰি শাসনৰ সুবিধা কেনেকৈ বঢ়োৱা যায় আৰু আয়-উপায় কিদৰে বৃদ্ধি কৰা যায় এয়ে হ'ল তেওঁলোকৰ সমস্যা। এনে সময়ত চাহ গছৰ আৱিষ্কাৰ যেনিবা পৰিত্ৰানৰ স্বৰূপৰ দৰে হ'ল। কাৰণ চাহ গছৰ খেতি অসম ঠাইত নহয়; থলাৱমা ধৰণৰ বিস্তৃত ভূখণ্ড, বিশেষকৈ পাহাৰৰ ঠাই চাহ-খেতিৰ কাৰণে উৎকৃষ্ট। ইংৰাজবিলাকৰ কাৰণে সোণালী সুযোগ হাতত মিলিল। তেওঁলোকে এই ছেগতে চাহ, কফি আদি খেতিৰ কাৰণে জঙ্গল মাটি পট্টন দি দেশৰ হাবি-জঙ্গলবোৰ কিছু পৰিষ্কাৰ কৰাৰ উপায় উলিয়ালে। জঙ্গল ভূমিৰ পট্টন লোৱাৰ দৰে দুঃসাহসৰ কামৰ কাৰণেও তেওঁলোকৰ লগা-ভগা জ্ঞাতি-কুটুম্ববোৰেই আগবাঢ়ি আহিল। তেওঁলোকে এইদৰে জঙ্গল মাটি পট্টন দিবলৈ বিভিন্ন সময়ত বিভিন্ন ধৰণৰ কিছুমান "জঙ্গল ভূমি পট্টন প্ৰণালী বা বিশেষ ভূমি পট্টন প্ৰণালী" (Waste Land Grant Rules or Special Grant Rules) ৰ সৃষ্টি কৰিলে। এনে ধৰণৰ নতুন নিয়ম পোনতে ১৮৩৮ চনত প্ৰচলিত হয়। এই পট্টনৰ ভূখণ্ডক একো একো প্ৰকাৰ 'গ্ৰেণ্ট' বোলা হৈছিল। চাহ, কফি আদি বিশেষ ধৰণৰ খেতিৰ কাৰণেই এইবোৰ ভূমি পট্টন প্ৰণালীৰ সৃষ্টি হৈছিল। ১৮৩৮ চনৰ এই নীতি মতে পট্টনৰ ভূমিৰ পৰিমাণ এশ একৰ বা তিনিশ বিঘাৰ কম আৰু দহ হাজাৰ একৰ বা ত্ৰিশ হাজাৰ বিঘাৰ বেছি হব নোৱাৰিছিল। পট্টন দিয়া ভূমিৰ এক চতুৰ্থাংশ প্ৰথম পাঁচ বছৰৰ ভিতৰত আবাদ হব লাগিছিল আৰু তেনে এক চতুৰ্থাংশৰ বাবে কোনো দিন কেতিয়াও খাজনা দিব নালাগিছিল। বাকী অংশৰ খাজনা আৰু আবাদৰ কাৰণেও সুবিধাজনক চৰ্ত্ত কিছুমান দিয়া হৈছিল। এবৈশ বছৰৰ মূৰে মূৰে এই ধৰণৰ গ্ৰেণ্টৰ জমিৰ খাজনাৰ পৰিবৰ্ত্তন হব পাৰিছিল।

ইয়াৰ পাছত ১৮৫৪ চনত জঙ্গলী ভূমি পট্টনৰ দ্বিতীয় ভিত্তি নিয়ম-কানুন ৰচিত হয়। এইবোৰ নিয়মক পুৰণি অসমৰ ভূমি পট্টনৰ নিয়মাৱলী (Old Assam Rules) বোলা হৈছিল। এই পদ্ধতিত পট্টনৰ কাল নিৰানব্বৈ বছৰ আছিল। ইয়াতো পট্টনৰ এক চতুৰ্থাংশ ভূমি বিনা খাজনাত

দিয়া হৈছিল আৰু পাঁচ শ একৰ বা পোন্ধৰ শ বিঘাৰ উৰ্দ্ধ পৰিমাণ জমি মাথোন পট্টন দিয়া হৈছিল। পিছত অৱশ্যে এশ একৰ বা ৩০০ বিঘাৰ উৰ্দ্ধ পৰিমাণ জমিও পট্টন দিয়া দেখা গৈছিল। ইযাকে নিৰানব্বৈ বছৰীয়া গ্ৰেন্ট বুলিও জনা যায়। পট্টনৰ নিৰানব্বৈটি বছৰ উকলিলে চৰকাৰে আৱশ্যকমতে খাজনা কম বেছি কৰিব পাৰে।

১৮৬১, ১৮৬২ আৰু ১৮৬৩ চনত লৰ্ড কেনিং গৱৰ্ণৰ জেনেৰেল হৈ থকা কালত ফি চিম্পোল গ্ৰেণ্টৰ নীতি নিৰূপিত হয়। লৰ্ড কেনিঙৰ দিনৰ গ্ৰেন্ট কাৰণে তেওঁৰ নামেৰে এই গ্ৰেণ্টবোৰক এল. চি (লৰ্ড কেনিং . গ্ৰেন্ট নামেৰেও জনা যায়।

ফি চিম্পোল গ্ৰেণ্টৰ নীতি মতে কেতিয়াবা একৰত ২।০ ৰূপৰা পাঁচ টকাৰ, কেতিয়াবা দহ টকাৰ ভিতৰত জমিৰ দাম ঠিক কৰি পট্টন দিয়াৰ স্থিৰ হৈছিল। এনেকুৱা নিৰ্দ্ধাৰিত দামক খাটাং দাম (upset price) আখ্যা দিয়া হৈছিল। এনে মাটি পট্টন দিয়াৰ আগতে তাক মাপ কৰা হৈছিল। কেতিয়াবা উচ্চতম ডাকত খৰিদ্দাৰকো বিক্ৰী কৰি দিয়া হৈছিল। মাটিৰ দাম এক বাৰতে বা অনুমতিক্ৰমে কিস্তি কিস্তিকৈ নিৰ্দ্দিষ্ট কালৰ ভিতৰত দিব লাগিছিল।° এইবোৰ নিয়ম ১৮৭২ চনলৈহে চলিছিল। তাৰ পিছত অৰ্থাৎ ১৮৬১ চনৰ পৰা ১৮৭২ চনৰ পিছত ফি চিম্পোল গ্ৰেণ্টৰ পট্টন সমূলি বন্ধ কৰা হৈছিল।

ইয়াৰ পিছত ১৮৭৬ চনত কিছুমান বিশেষ চৰ্ত্তত ত্ৰিশ চনা গ্ৰেণ্টৰ পট্টন বা লীজ দিয়া হয়। ইয়াক এন এল. অ ৰ ('নিউ লীজ কল গ্ৰেন্ট') বোলে। এনে লীজ বহুকাল পিছলৈ চলি আছিল। এনেকৈয়ে বিশেষ খেতিৰ কাৰণে অসমত জঙ্গলী ভূমি পট্টন দিয়াৰ বিভিন্ন আইন ৰচিত হৈছিল।

চিৰস্থায়ী বন্দবস্ত বা পাৰ্মেনেন্ট ছেটেলমেণ্ট

বৰ্ত্তমান অসমৰ গোৱালপাৰা জিলাতহে মাথোন এই বন্দবস্ত আছিল। জমিদাৰী উচ্ছেদ আইনে এতিয়া চিৰস্থায়ী বন্দবস্তৰ ভিত্তিমূল ভাঙিবলৈ ওলাইছে। জমিদাৰসকলৰ লগত স্থায়ী বন্দবস্ত এটা কৰি পট্টন দিয়া ভূমি-কেই চিৰস্থায়ী বন্দবস্তৰ ভূমি বুলি জনা যায়। জমিদাৰসকল এই বন্দবস্তত একপ্ৰকাৰ ঠিকাদাৰৰ দৰে হৈ পৰিছিল; অৰ্থাৎ নিৰ্দ্দিষ্ট পৰিমাণৰ কৰ

শোধাই তেওঁলোকে সদায় জমি ভোগ কৰিব পাৰিছিল। যদিও তেওঁলোক পোনতে জমিৰ সৰ্ব্বেসৰ্ব্বা নাছিল আৰু ভূমিৰ স্বত্বিত্বও (Prcpietory right) তেওঁলোকৰ হাতত সমৰ্পি নাছিল, তথাপি ক্ৰমে ক্ৰমে তেওঁলোকে সেইবোৰ স্বত্ব আয়ত্ত কৰি লৈ ব্যৱহাৰ কৰিছিল। এই বিষয়ে অন্য প্ৰসঙ্গত বহলাই আলচ কৰা হৈছে।

খাত

ফুকন, বৰুৱা, চৌধুৰী আদি বিষয়াসকলক এসময়ত বহুত মাটি একে ঠাইতে পট্টন দিয়া হৈছিল। এইবোৰক খাত বোলা হৈছিল। খাতৰ খাজনা আবাদী অংশতহে পূৰ্ণ নিৰিখত দিব লাগিছিল। এই পট্টাদাৰ-সকলেও মৌজাদাৰক খাজনা নিদি পোনে পোনে চৰকাৰী ট্ৰেজাৰিত জমা দিব পাৰিছিল। কামৰূপত এনে খাত একাধিক আছিল।

এক চনা আৰু ম্যাদি মাটি

এক চনা মাটিৰ বিষয় আগতে উল্লেখ কৰি অহা হৈছে। ইংৰাজ-বিলাকে অসম অধিকাৰ কৰাৰ পিছত দেশৰ সমস্ত জমিকে একচনা বন্দ-বস্তত ৰায়তক থাবলৈ দিছিল; অৰ্থাৎ এটা বছৰৰ কাৰণে একোটা নিৰ্দ্দিষ্ট খাজনাত বন্দবস্ত দিয়া হৈছিল। পিছত যেতিয়া দেখা গ'ল বছৰি বছৰি মাটিবোৰ জোখা, খাজানাৰ নিৰিখ ঠিক কৰা আদি কামবোৰ অতিশয় কষ্টকৰ আৰু আতুকসীয়া তেতিয়া পোনকে দহ বছৰলৈ একাধিক বছৰৰ যি কোনো কালৰ কাৰণে পট্টন লবলৈ সুবিধা দিয়া হ'ল। ইয়াতেই ম্যাদি পট্টাত পট্টাদাৰৰ জমিৰ ওপৰত দান বিক্ৰী-হস্তান্তৰৰ ক্ষমতা মানি লোৱা হ'ল। ইয়েই ব্যক্তিৰ পট্টাভুক্ত ম্যাদি জমিৰ ওপৰত স্বত্ব আৰু স্বাৰ্থ আনি দিলে। তেতিয়াৰ পৰা ম্যাদি মাটি ব্যক্তিগত সম্পত্তি হৈ পৰিল। একচনা আৰু ম্যাদিৰ মূল ভাব বঙ্গদেশৰ স্থায়ী আৰু অস্থায়ী ৰায়তৰ স্বত্বাদিৰপৰা পোনতে ধাৰ কৰা হৈছিল। একচনা জমি নামে-কামে একচনা : এবছৰৰ কাৰণে খাজনা আদায় ক্ৰমে দখল কৰিবলৈ দিয়া জমি। দান-বিক্ৰী-হস্তান্তৰ একচনা মাটিত নাখাটে। অন্য কালে আকৌ ম্যাদি মাটি মালিক বা পট্টাদাৰৰ স্থাবৰ সম্পত্তি। ইয়াতকৈ মূল্যবান

স্থায়ী সম্পত্তি মানুহৰ একো নাই। ইয়াক দান-বিক্ৰী-হস্তান্তৰ কৰা যায়; বন্ধক দিয়া যায় আৰু আনকি ইয়াকে পট্টন দি পট্টাদাৰ হৈ পৰে ৰায়ত-সকলৰ কাৰণে একো একোজন ক্ষুদ্ৰ ৰজা-স্বৰূপ। এসময় ভূমিবোৰ উপৰুক্ত যিকোনো এক শ্ৰেণীভুক্ত হৈ আছে। এই শ্ৰেণীবোৰ কিমান দিন টিকে সি চিন্তাৰ বিষয়; কিন্তু এইটো হলে খাটাং যে অখেতিয়ক মালিকৰ হাতত থকা শ-শ বিঘাৰ খাতবোৰ আৰু গ্ৰেণ্টৰ বিস্তীৰ্ণ গৰাবাদ ভূমিবোৰ অবিলম্বে প্ৰকৃত খেতিয়ক আৰু দখলকাৰসকলৰ হাতলৈ যাব আৰু এইদৰে আহোম ৰাজত্বত সুপ্ৰতিষ্ঠিত হোৱা ভূ-স্বামী-শাসনৰ (feudal system) শেষ বন্ধনটিও শীঘ্ৰেই বিচ্ছিন্ন হব।

—

ভূমি আৰু জীৱন

দ্বিতীয় খণ্ড

ভূমি-নীতি সংস্কাৰৰ পটভূমি

ভাৰতৰ লোকসংখ্যা জম্মু, কাশ্মীৰ আৰু অসমৰ জনজাতীয় অঞ্চলৰ কিয়-দংশৰ লোকসংখ্যা নধৰাকৈয়ে ৩৫ ।। কোটিৰো অধিক। তিৰোতা কম, পুৰুষ বেছি। প্ৰত্যেক হাজাৰ পুৰুষৰ ভিতৰত তিৰোতা আছে ৯৪৭ জনীকৈ। কথাটো কন্যা দায়গ্ৰস্ত সকলৰ কাৰণে নিশ্চয় কিছু আশাপ্ৰদ। যি কি হওক এই ৩৫ ।। কোটি লোকৰ ভিতৰত শতকৰা প্ৰায় তিৰাশী জনেই গাঁৱত থাকে আৰু শতকৰা ৭০ জনেই খেতিৰ ওপৰত নিৰ্ভৰশীল। ১৯১৮ চনত দিয়া মণ্টেগু চে'মচফ'ৰ্ড ৰিপ'ৰ্টতে ভাৰতৰ প্ৰকৃত অৱস্থা বৰ্ণনা কৰোঁতে এই কথা স্বীকাৰ কৰা হৈছিল যে ইংলণ্ডৰ দৰে কল-কাৰখানাপ্ৰধান দেশতো শতকৰা ৫৮ জন লোকে কাৰখানাত থাকে, মাত্ৰ শতকৰা আঠজনহে খেতিত লাগে। কিন্তু ভাৰতৰ শতকৰা ৭১ জনেই খেতিৰ ওপৰত নিৰ্ভৰ কৰে। * সেই কাৰণেই ভাৰতবৰ্ষ কৃষিপ্ৰধান দেশ বুলি খ্যাত। কৃষক-সকলে অন্য জানক-নাজানক দুটা কথা ভালকৈ জানে, সেয়ে হ'ল খোৱা-বোৱা আৰু ৰাজকৰ অৰ্থাৎ খাজনা শোধাই নিশ্চিন্ত থকা। গাঁৱৰ লোকে সেয়েহে কয়—'মোক্ষা মানুহৰ ভোক্ষা কথা, পুৱা-গধূলি চাউল কঠা।' দেশৰ বা-যাৱলীয়া ৰাজনীতি নতুবা সমস্যালোচীসকলৰ মুখে এক পেটে-এক কথাৰ ভু তেওঁলোকে নলয়ো, নাপায়ো। তেওঁলোকৰ মতে সেইবোৰ শাৰীৰিক

---

* Agriculture is the one great occupation of the people. In normal times a highly industrialised country like England gives 58 persons out of every 100 to industry and only 8 to agriculture. But India gives out of every hundred 71 to agiculture or pasture—Montague Chelmsford Report of 1918.

পৰিশ্ৰম নকৰা নগৰ চহৰৰ ধ'তুৱা বাবু সকলৰহে সময় কটোৱা চিন্তাৰ খোৰাকী। সেইবাবেই খেতিয়ক মৈমনসিঙীয়াসকলে ভাষা বিভ্ৰাটৰ মেৰত পাকত নোসোমাই খেতি কৰি খাই বৈ থাকি সময়ৰ মূৰত গৈ সিহঁতৰ মাতব্বৰ বা চৰকাৰৰ কথামতে কোনো এজনক ভোটটো দি অহাৰ কথাহে জানে। বছৰেকীয়া ৰাজকৰ বা খাজনাখিনি পৰিশোধ কৰাত তেওঁলোক সদায় তৎপৰ। তেওঁলোক কিয়, খেতিয়কসকলৰ ভিতৰত খুব কম লোকেই আছে যি খাজনাখিনি পৰিশোধ কৰাৰ কথা আগে নাভাবে। খেতিৰ মাটি আৰু খাজনা—এয়ে তেওঁলোকৰ মূল সম্বল আৰু দেনা (assets and liabilities)। খেতিৰ চাউলমুঠি থাকিলে শাকে-পাতে নিমখেৰেও দুপৰীয়া গধূলি দুসাজ খাই জীয়াই থকা যায় আৰু ৰজাৰ খাজনাকেৰা শোধালে—ওপৰৰ ৰজাঘৰীয়া দায়-জগৰে নাপায়, এয়ে তেওঁলোকৰ জীৱনৰ দৰ্শন আৰু কৰ্ম-জগতৰ আদৰ্শ।

এইদৰে দেখা যায় মাটি আৰু ৰাজ-খাজনাৰ বিষয়ে থকা সমস্যাবোৰ ভালকৈ জানিব পাৰিলেই আৰু জানি সেইবোৰৰ সমাধান কৰিব পাৰিলেই ভাৰতৰ এটা মূল সমস্যাৰ সমাধান কৰা হয়। অন্য কথাত কবলৈ গলে ভূমি-নীতি সংস্কাৰত কৃতকাৰ্য্য হব পৰা হেতুকেই কৃষিপ্ৰধান চীনে জাতীয় জীৱনৰ শ শ বছৰ ধৰি চলি অহা কেৰোণ গুচাই উন্নতিৰ পথত দোপত-ৰোপে আগবাঢ়ি জগতৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰিছে। কাৰণ, ভূমিৰ লগতেই কৃষি, শস্য আৰু দেশৰ উৎপন্ন সাঙোৰা আছে। ভূমি-নীতিসংস্কাৰৰ দ্বাৰা ভূমি-সমস্যাৰ সমাধান কৰিব পাৰিলেহে ভাৰতৰ কৃষি সমস্যাৰ সমাধান হব।*

ভাৰতে আজি ভূমি নীতি সংস্কাৰ-সমস্যা হাতত লৈছে। ইয়াত কৃতকাৰ্য্য হব পাৰিলেহে ভাৰতীয় স্বাধীনতাৰ সাৰ্থকতা হব। অসমীয়া, তথা ভাৰতীয় সাধাৰণ লোকৰ মানত ৰাজনৈতিক স্বাধীনতা এটা সিমান ডাঙৰ বস্তু নহয়। তেওঁলোকৰ বদ্ধমূল ধাৰণা—যেয়ে ৰজা, তাৰে প্ৰজা আমি। অৰ্থাৎ শাসন যিয়েই কৰক, আমাৰ সমস্যাবোৰ সমাধান নহলে ৰজাঘৰে আমাৰ কাৰণে কিবা কৰিছে বুলি আমি নাভাবোঁ।

---

* It is impossible to deal with the problem of agriculture in India without dealing with the problem of the land system—India To-day—R Palme Datta.

ভাৰতৰ ভূমি-নীতি সমস্যা শ-শ বছৰ ধৰি যেৰপাক খাই থকা এডেজাৰ এটা গাঁঠিৰে পৰিপূৰ্ণ। ইয়াত জমিদাৰ, মিৰাছদাৰ, কৃষক, পট্টাদাৰ, ৰায়ত, তলতীয়া-ৰায়ত আদি নানা শ্ৰেণীৰ খেতিয়ক আৰু নানকৰ, ব্ৰহ্মোত্তৰ, দেৱোত্তৰ, ধৰ্মোত্তৰ, লাখেৰাজ নিষ্পিখেৰাজ, খেৰাজ, ইনাম, চৰকাৰী, একচনা, ম্যাদি আদি নানা প্ৰকাৰৰ পট্টনৰ চলস্তি আছে। ব্ৰাহ্মণৰ গৃহত জন্মিয়ে জন্মস্বত্বে আয়ত্ত কৰি লব পৰা ভাৰত ভূমিত উপকল্প লাখেৰাজদাৰ নিষ্পিখেৰাজদাৰ, নানকৰদাৰ, জমিদাৰসকলৰ পুত্ৰ পৌত্ৰসকলেও জন্ম-স্বত্বৰ বলেৰে বিনা যত্নে পুৰুষাৰ্থৰ লেশমাত্ৰ নোহোৱাকৈয়ে ৰাজসুখ ভোগৰ অধিকাৰী হৈ আহিছে। ইফালে কোনোৰে ঘটনাচক্ৰত দুখীয়া খেতিয়কৰ ঘৰত ওপজা হেতুকে যোগ্যতা থকা সত্বেও হাড়ভগা পৰিশ্ৰম কৰি পুৱা-গধূলি দুবেলা দুমুঠি অন্নৰ সংস্থান কৰিব নোৱাৰে। কঠোৰ পৰিশ্ৰমৰ বলত যিখিনি অৰ্জ্জন কৰে সিও আনৰ হাতলৈ গুচি যায়। তেনে অৱস্থাত পৰিয়ে দুখীয়া খেতিয়কে কয় বোলে—'অন্যক নেদোষোঁ ভাগ্যক দোষোঁ, মাটি লেল মাৰি কঁটা (কাঁইট) মূৰা চোহোঁ।"

এই খেতিয়ক শ্ৰেণীকেই শোষণ কৰি আকৌ অন্য কিছুমান বুদ্ধিজীৱী বা জন্মস্বত্বত হোৱা সম্ভ্ৰান্ত লোকে বিনা পৰিশ্ৰমে বিলাসত কাল কটাবলৈ পায়। একালে দাৰিদ্ৰ্যৰ কৰুণ বিননি, আনকালে নিষ্কৰ্মা ধনী সম্প্ৰদায়ৰ সদম্ভ বিলাস। ভাৰতীয় জীৱনৰ বাস্তৱ সংঘৰ্ষ উপস্থিত হৈছে এইখিনিতে। এই সমস্যাৰ যে সমাধান নহব এনে নহয়। এনেবোৰ বৈষম্য কালৰ চকৰিয়ে দূৰ কৰি আহিছে। জমিদাৰী উচ্ছেদ তেনে ধৰণৰ অগ্ৰগতিৰ খোজ। প্ৰবহমান কালৰ চকৰিত আবহমান কালৰপৰা জমা হোৱা এই মমৰ জন-জাগৰণৰ লগে লগে আঁতৰি নাইকিয়া হ'বই, তাত সন্দেহ নাই।

পৃথিবীত আজি সকলোৱে দাবী কৰে যোগ্যতাৰ সমাদৰ। কিন্তু জন্মস্বত্বৰ বলেৰে যিসকল সম্ভ্ৰান্ত বা পূজ্য হৈ আহিছে তেওঁলোকে নিজৰ কৌলীন্যৰ অৱমাননা সহ্য নকৰে। তেতিয়াই বিৰোধ উপস্থিত হয় সংঘৰ্ষই দেখা দিয়ে। একালে দলিত, পীড়িত, প্ৰতাৰিত জনতা; আনফালে বিলাসী, কুলীন, বুদ্ধিজীৱী সম্প্ৰদায়। সমাজত তেতিয়া বিদ্ৰোহ আৰু আন্দোলনৰ সৃষ্টি হয়। ভূগৰ্ভৰ উত্তাপ বাঢ়িলে জ্বালামুখ বা আগ্নেয়গিৰি বাহিৰ হোৱাৰ দৰে মূক জনতাৰ অন্তৰ ভেদ কৰি সঞ্চিত বিক্ষোভৰাশি বিদ্ৰোহৰ আকাৰত বাহিৰ হয়। এনে বিদ্ৰোহৰ হাত সাৰিবলৈ হলে বিদ্ৰোহৰ সম্ভাৱনীয় কাৰণবোৰ জানি লৈ সেইবোৰ একে একে দূৰ কৰিবলৈ যত্নপৰ হোৱা প্ৰত্যেক দেশকৰ্মী বা জন-নায়কৰে কৰ্ত্তব্য। ভূমি-নীতিৰ সংস্কাৰ সাধন তেনে এটি কৰ্ত্তব্য।

ভূমি-নীতি সংস্কাৰৰ ভূমিকা

স্বাধীনতা যুদ্ধৰ আগৰে পৰা চিন্তাশীল নেতাসকলে সদায় সভা-সমিতিত প্ৰচাৰ কৰি আহিছে যে ভাৰতৰ ঘাই সমস্যা—অন্ন-সমস্যা আৰু বস্ত্ৰ সমস্যা। পুৱা-গধূলি দুবেলা দুমুঠি সুখেৰে খাবলৈ পালে বস্ত্ৰ সমস্যাই মানুহক সিমান পীড়া কৰিব নোৱাৰে। অন্ন সমস্যাৰ সমাধান হলে বস্ত্ৰ-সমস্যাৰো সমাধান হব।

খাদ্য-সমস্যাও ভূমি সমস্যাৰেই শাখা প্ৰশাখা স্বৰূপ। ভাৰতত এনে এদিন আছিল যেতিয়া মানুহে মাটিক সম্পত্তি বুলিয়ে গণ্য নকৰিছিল। খেতিয়কসকলে পথাৰত মাটি ভগাই লৈ খেতি কৰিছিল আৰু ৰজাক তাৰ বাবে কাম কৰি দি অথবা শস্যেৰে কৰ শোধাইছিল। খেতি কৰা মাটিহে কৰ আছিল। মাটিত খেতি নকৰিলে কৰো নালাগিছিল। ই আছিল অতি প্ৰাচীন ৰীতি।

দিন গৈ অহাৰ লগে লগে ক্ৰমাৎ একশ্ৰেণী বুদ্ধিজীৱী লোকৰ আৱিৰ্ভাব হ'ল। তেওঁলোকে নিজৰ কাৰ্য্যদক্ষতাৰ গুণত অথবা বিশেষ কোনো ৰজা বা প্ৰজা-হিতকৰ কাম কৰি দিয়া কাৰণে ভূমি-বৃত্তিকেই বানচ বা পুৰস্কাৰ-ৰূপে লাভ কৰি তাকেই চলাই মেলি খেতিয়ক ৰায়তৰ পৰা খাজনাৰ ওপৰত মুনফা ধৰি লৈ তাৰেই জীৱিকা নিৰ্বাহ কৰিবলৈ ধৰিলে। ৰজাঘৰীয়া ডাঙৰ ডাঙৰ বিষয়াসকলেও এইদৰে দৰৱমহা লোৱাৰ ব্যৱস্থা কৰিছিল। এনেকৈয়ে অসমত ফুকন, বৰুৱা, গোঁহাই আদি বিষয়াসকল ভৰিছিল। এই সম্পৰ্কে পিছত বহলাই আলচ কৰা হব। মুছলমানসকলে এইদৰে জায়গীৰ (ভূখণ্ড) পাইছিল।

ৰাজপুৰোহিতসকলেও তেনেকুৱা ভূমিদান পাইছিল। পণ্ডিত আৰু ব্ৰাহ্মণৰ সন্মানৰ তেতিয়াৰ যুগত বৰ বেছি আছিল। কাৰণ তেতিয়াৰ যুগ আছিল ধৰ্ম্ম-শাসনৰ যুগ। ধৰ্ম্মক মানুহে সেই যুগত বৰকৈ ভয় কৰিছিল। পণ্ডিত আৰু ব্ৰাহ্মণসকল আছিল ধৰ্ম্মৰ গৰাকী, বিদ্যাৰ অধিকাৰী।

তেতিয়াৰ যুগত অসমত, অসমত কিয় ভাৰতৰ কোনো ঠাইতে মাটিৰ

সম্পূৰ্ণ মেপ আৰু জোখ হোৱা নাছিল। আহোম ৰজাই ব্ৰাহ্মণসকলক ভূমি-দান দিয়াৰ প্ৰণালী পুৰণি পেৰা-কাকতত আৰু তাম্ৰৰ ফলি আদিত পোৱা যায়। সেই যুগৰ ভূমি-দান আৰু ভূমি গ্ৰহণৰ ৰীতি-নীতিবোৰ আজিকালিও বুঢ়া মানুহৰ মুখে শুনিলে ধুনীয়া সাধুকথা যেন লাগে। প্ৰীত হৈ হেনো ৰজাই কেতিয়াবা কোনো ব্ৰাহ্মণক কৈছিল—"তুমি সূৰ্য্যোদয়তে যাত্ৰা কৰি সূৰ্য্যাস্তলৈকে দিনটোত যিমানখিনি ঠাই পৰ্য্যটন কৰিব পাৰা তৎপৰিমাণ ভূমি নিষ্কৰ দান পাবা; অৰ্থাৎ বিনা কৰে তুমি তাক ভোগ কৰিব পাৰিবা। কোৱা বাহুল্য যে সেই মাটিৰ সীমাৰ ভিতৰৰ বায়তসকল তেতিয়াৰপৰা ব্ৰাহ্মণৰ অধীন আৰু কৰতলীয়া হৈছিল। এইদৰে কোনো দানগ্ৰাহী ব্ৰাহ্মণে দিনৰ দিনটো লৰি-ঢাপৰি ঘূৰি আহি সন্ধ্যাৰ আগে আগে যাত্ৰাৰ ঠাই পোৱাৰ লগে লগে ক্লান্ত হৈ ভাগৱত শেষ নিশ্বাস পেলাব লগীয়া হৈছিল। কোনোৱে দৌৰি দৌৰি গৈ পুনঃ ঘূৰিবলৈ সময় নোপোৱাত বাটতে ধাতু এৰিছিল। কোনোৱে বন্দৱস্ত মতে ৰজাৰ ঘৰত ব্ৰহ্মভোজন কৰি ভূমি-দানৰ কাৰণে মাটি দেখুৱাবলৈ লৰি গৈ বাটতে পেট শূলত প্ৰাণ এৰিছিল। এতিয়াও বামুণমৰা পথাৰ, বামুণৰ গাওঁ আদিবোৰৰ নামে গাঁৱলীয়া মানুহৰ মাজত চলি থকা কিংবদন্তিৰ মাজেদি তেনেবোৰ প্ৰথাৰ সাধুকথা জীয়াই ৰাখিছে।

এইদৰে যিখিনি ঠাই দানগ্ৰাহী পণ্ডিত বা ব্ৰাহ্মণে নিৰ্দিষ্ট সময়ৰ ভিতৰত পৰ্য্যটন কৰিব পাৰিছিল—সেইখিনি ঠাই তেওঁক দান দিয়া হৈছিল। জোখ-মাখৰ অভাৱত মাটিৰ সীমা আৰু পৰিমাণ দিয়া হৈছিল এইদৰে—অমুক মন্দিৰৰ পৰা পূবে গৈ আহত গছ তাৰ দক্ষিণে গৈ অমুক নদী, তাৰ পশ্চিমে গৈ অমুক গড়; তাৰ উত্তৰে অমুক পৰ্ব্বত—ইয়াৰ ভিতৰতে অনুমান ইমান মাটি। সাধাৰণ মানুহৰো মাটিৰ হিচাপ ৰখা হৈছিল এইদৰেই।

যুকন, বৰুৱা, গোহাঁই আদি বিষয়াসকলেও এনেকৈ মাটি পাইছিল। ৰজাৰ হৈ কৰ-কাটল তোলা কৰ্ম্মচাৰীও আছিল এওঁলোকেই। তাতে কেতিয়াবা তেওঁলোকৰ মইমতালি বৰকৈ চৰিলে অথবা আচাৰ-ব্যৱহাৰ বৰ অসন্তোষজনক হলে প্ৰজাৰ মাজত বিক্ষোপ উপজিছিল আৰু সেয়ে বিদ্ৰোহত পৰিণত হৈছিল।

ইংৰাজসকল অহাৰ আগলৈকে ভাৰতত ভূমি-সমস্যাই দেখা দিয়া নাছিল।

তেতিয়া দেশৰ লোকসংখ্যাও কম আছিল। তদুপৰি সমাজত শ্ৰেণীবিভাগ অনুসৰি নানা শ্ৰেণীৰ মানুহে নানা প্ৰকাৰ হাতৰ কাম, বোৱা-কটা, কাঠৰ কাম বাচন-বৰ্তন তৈয়াৰ কৰা আদি কামত নিজক নিয়োগ কৰি সমাজৰ শৃংখলা ৰক্ষা কৰিছিল। ইংৰাজসকল অহাৰ লগে লগে ভাৰতীয় লোকৰ পুৰণিকলীয়া বৃত্তিবোৰৰ ক্ৰমাৎ ভিকাচন ভাগিল। ফলত নদীয়ালৰপৰা নাপিতলৈকে সকলোৱে খেতিৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হ'ল। ইংৰাজ-বিলাকেও সেই একে চেগকে লৈ নিজৰ বেহা-বেপাৰ বিয়পাবলৈ যৎপৰোনাস্তি চেষ্টা চলালে। শিক্ষাৰ পদ্ধতিও এনেভাৱে পৰিবৰ্তন কৰা হ'ল যে শিক্ষিত লোকে ক্ৰমাৎ পৰিশ্ৰম নকৰা হৈ পৰিল।

এই সুবিধাতে ইংৰাজসকলেও দেশৰ বুদ্ধিজীৱী, বিলাসী, মধ্যবিত্ত শ্ৰেণী-টোক হাতত লৈ তেওঁলোকক‌েই পুতলা ৰূপে ব্যৱহাৰ কৰিবলৈ ধৰিলে। ফলত সৃষ্টি হ'ল জমিদাৰী আৰু অন্যান্য ডাঙৰ ডাঙৰ বিষয় বাসনাবোৰ। জমিদাৰসকল আৰু বিষয়াসকল হৈ পৰিল তেওঁলোকৰ আজ্ঞাবহ ভৃত্য অথবা নিৰ্ভৰশীল বন্ধু! ইংৰাজসকলেও তেওঁলোকৰ কন্দল সৃষ্টিৰ দ্বাৰা শাসন (Divide and rule) নীতিকেই বাহাল ৰাখি সমাজত বিশৃংখলা নোহোৱাকৈ বুদ্ধিৰে নানা প্ৰকাৰ ভূমি পট্টনৰ বিধি উলিয়ালে; যেনে— জমিদাৰী, ৰায়ত-ৱাৰী, নিষ্কৰ, নিস্পিখেৰাজ, ম্যাদি, একচনা, বিশেষ ম্যাদি ইত্যাদি। বিনা পৰিশ্ৰমে খোৱা বুদ্ধিজীৱী লোকৰ সংখ্যা বাঢ়ি আহিল। মাটি আৰু পানীৰ ওপৰত জাৰ্মানী মেটেকা বিয়পি পৰিলে মাটি-পানীৰ অৱস্থা যি হয় ভাৰতীয় কৃষকৰ অৱস্থাও সেয়ে হ'ল। এই অৱস্থাৰ পৰা কৃষকক ৰক্ষা নকৰিলে দেশৰ কল্যাণ নাই।

ভূমি সমস্যা সমাধানৰ কাৰণে চিন্তা কৰি চাই ভাৰতীয় জাতীয় কংগ্ৰেছ মহাসভায়ো সিদ্ধান্ত কৰিলে যে মধ্যবিত্ত, বুদ্ধিজীৱী অকৰ্মণ্য ভূম্যধিকাৰ-সকলৰ স্বত্ব যেতিয়ালৈকে ৰহিত নহয় তেতিয়ালৈ ভাৰতীয় কৃষকৰ উন্নতি হ'ব নোৱাৰে। যি মাটিত কৃষকে খেতি কৰে তেওঁ বুজিব লাগিব যে সেই মাটি তেওঁৰ নিজৰ সম্পত্তি, তাৰ হিতৰ কাৰণে আৰু তাত অধিক শস্য উৎপন্ন কৰিবৰ কাৰণে যত্ন কৰা তেওঁৰ স্বাৰ্থজড়িত কৰ্তব্য। সেয়ে নহ'লে দেশৰ মঙ্গল নহয়। মহাত্মা গান্ধীয়ে 'হৰিজন' কাকতত ১৯৩৭ চনৰ দুই জানুৱাৰী তাৰিখতে লিখিছিল—"প্ৰকৃত সমবায়বাদৰ শিক্ষা আমাক আমাৰ

পূৰ্ব্ব-পুৰুষসকলে বহুকাল পূৰ্ব্বেই দি থৈ গৈছে। তেওঁলোকে কৈছিল—গোটেই ভূখণ্ড গোপাল ভগৱানৰ বস্তু। তাৰ নো সীমা তেন্তে ক'ত? মানুহে যাত্ৰ সেই সীমাৰ সৃষ্টি কৰিছে আৰু সেইবাবে তাক তুলি দিবও পাৰে। গোপাল মানে গৰখীয়া; কিন্তু গোপাল শব্দই ঈশ্বৰকো বুজায়। আজিৰ পৰিভাষাত ইয়াৰ অৰ্থ চৰকাৰ বা বা ৰাইজ।"

স্বাধীনতাৰ বহুত দিন আগতে আমেৰিকান পৰ্য্যটক লুই ফিচাৰে যেতিয়া এদিন মহাত্মাক সুধিছিল—"কৃষকসকলৰ অৱস্থাৰ কাৰণে আপোনাৰ পৰিকল্পনা কি?" মহাত্মাই তেতিয়া উত্তৰ দিছিল—"কৃষকসকলে নিজে নিজেই মাটি-বোৰ নিজৰ হাতলৈ আনি লব; আমি তেওঁলোকক তাকে কৰিবলৈ কবৰ প্ৰয়োজন নহ'ব।"

এদিন মীৰাবেনে মহাত্মাজীক আগ'থা জেইলত সুধিছিল—"স্বৰাজৰ পিছত ভূমি-বিতৰণ কিদৰে হব?" গান্ধীজীয়ে উত্তৰ দিছিল—মাটিবোৰ চৰকাৰে লব। এক প্ৰকাৰে ৰাইজেই হব চৰকাৰ। অধিকাংশ জমিদাৰে তেওঁলোকৰ জমি স্বেচ্ছাই এৰি দিব যিসকলে নিদিয়ে তেওঁলোকৰ কাৰণে আইন প্ৰণয়ণৰ প্ৰয়োজন হব।'

মহাত্মাজীৰ ইচ্ছাৰ ৰাম-ৰাজ্য গঢ়ি নুঠিল। হব পাৰে সেই প্ৰজাবৎসল শ্ৰীৰামচন্দ্ৰও নাই, সেই ভাগৱীৰ ভক্ত হনুমন্ত, ভ্ৰাতৃ লক্ষ্মণো নাই। গতিকে ৰাম-ৰাজ্যও গঢ়ি উঠা নাই। কিন্তু সেইবুলি মহাত্মাৰ কল্পনাৰ ভাৰত গঢ়িবলৈ নেতাসকলে যে যত্ন কৰা নাই, এনে নহয়। আচাৰ্য্য ভাবেৰ দৰে অনেকে বৰং তাকেই জীৱনৰ ব্ৰত কৰি লৈছে।

ভূমি-সমস্যা সমাধানৰ কাৰণে ইতিমধ্যে চৰকাৰৰ সংশ্লিষ্ট মহলত জাল-কৈয়ে আলাপ আলোচনা, বিচাৰ-বিবেচনা, যত্ন-পৰীক্ষা আদি চলি আছে। আনকি বিভিন্ন ৰাষ্ট্ৰৰ ৰাজহমন্ত্ৰীসকলে লগহৈ ভাহানি ১৯৪৮ চনতে এই

---

* Real socialism has been handed down to us by our ancestors who taught "All land belongs to Gopal." Where then is the boundary line? Man is the maker of that line and therefore he can unmake it. Gopal literally means shepherd; it also means God. In modern language it means the state i. e the people. M. K. Gandhi

সম্পৰ্কে এখন সভা পাতি এই বিষয়ে কাৰ্য্যকৰী পন্থাও গ্ৰহণ কৰিছিল। তাতেই তেতিয়াৰ কংগ্ৰেছ-সভাপতি ড° ৰাজেন্দ্ৰ প্ৰসাদক এই উদ্দেশ্যে এখন উপযুক্ত কমিটি গঠন কৰি দিবলৈ ভাৰ দিয়া হৈছিল। তাৰেই ফলত শ্ৰীজে, চি, কুমাৰাপ্পাৰ নেতৃত্বত কংগ্ৰেছ সংস্কাৰ কমিটি (The Congress Reforms Committee) গঢ়ি উঠে। আজিলৈ বিমানবোৰ মূল্যবান তথ্য আৰু উপদেশ কৃষি-সংস্কাৰ সম্বন্ধে ওলাইছে—তাৰ ভিতৰত এই কমিটিৰ উপদেশেই সবাতোকৈ অধিক মূল্যবান বুলি স্বীকৃত হৈছে। সেই অনুসাৰেই দেশৰ ৰীতি-নীতি আৰু প্ৰয়োজনৰ লগত খাপ খুৱাই ৰাষ্ট্ৰবোৰত নানা প্ৰকাৰে ভূমিনীতি সংস্কাৰৰ কাম চৰকাৰে হাতত লৈছে।

ভূমিনীতি সংস্কাৰৰ সৰ্ব্ববাদী সম্মত প্ৰথম কাম হৈছে ৰঘুমলা হিচাপে সমাজত থকা বুদ্ধিজীৱী নিকৰ্ম্মা মধ্যবিত্ত শ্ৰেণীৰ নিৰ্ম্মূল সাধন। খেতিয়কৰ মাটি খেতিয়কৰ নিজা সম্পত্তি হব লাগিব। চৰকাৰ আৰু খেতিয়কৰ মাজত মাজৰ মানুহ—যেনে জমিদাৰ, ভূস্বামী, জোতদাৰ, পট্টাদাৰ আদি থাকিব নোৱাৰিব। নাবালক, বিধবা অথবা কৰ্ম্মী লোকত বাহিৰে অন্যে মাটিৰ মালিক হৈ মাজতে তাক পৰিচালনা কৰি মুনাফা খাই থকাৰ নীতি উঠাই দিব লাগিব। এইদৰে, কিপ্ৰকাৰৰ মানুহে কিমান মাটি ৰাখি চলাই-মেলি খাব পাৰিব তাৰ নিৰাকৰণ আইনত বন্ধা থাকিব লাগিব।

আজিৰ দিনত দেখা যায় ভূস্বামী বা জমিদাৰৰ তলত মাটি খোৱা ৰায়তৰ স্বত্ব অনেক ক্ষেত্ৰত মনা নহয়। পাঁচ বা ছয় বছৰ এইদৰে ৰায়ত হিচাবে খোৱাৰ পিছত প্ৰত্যেক ৰায়তৰ স্বত্ব দখলী জমিত ওপজা উচিত। সুখৰ কথা অসমত ১৯৫৩ চনৰ নতুন প্ৰজাস্বত্ব-আইন মতে পাঁচ বছৰতে ৰায়তৰ এই স্বত্ব জন্মাৰ ব্যৱস্থা হৈছে। ৰায়ত বা প্ৰজাক যাতে জমিদাৰে খুচিমতে উচ্ছেদ কৰি দিব নোৱাৰে তাৰ বাবে নিৰ্দ্দিষ্ট নিয়ম আইনত বন্ধা থাকিব লাগে।

একোঘৰ গিৰীয়ে কিমান মাটি দখল আৰু পট্টাত ৰাখিব পাৰে তাৰ এটা নিৰ্দ্দিষ্ট পৰিমাণ (Ceiling) থকা উচিত। ভাৰতৰ অনেক ৰাষ্ট্ৰত ইতিমধ্যে ১৫০ বিঘা, ২০০ বিঘা অথবা ২৫০ বিঘাৰ উৰ্দ্ধতম নিৰিখ একোটা স্থিৰ কৰি লোৱা হৈছে। অসমত ১৫০ বিঘাই উৰ্দ্ধতম সীমা

(ceiling) নিৰ্দ্ধাৰিত হৈছে। এই পৰিমাণৰ অধিক মাটি কোনেও ৰাখিব নোৱাৰিব। কালক্ৰমত ইয়াৰো যে ব্যতিক্ৰম ঘটিব সেইটো নিশ্চিত।

এনেবোৰ নীতি-নিয়ম প্ৰবৰ্ত্তনৰ পৰিকল্পনা আৰু কাৰ্য্য অতি মংগলজনক। কিন্তু ইয়াৰ লগে লগে যাতে প্ৰত্যেক পৰিয়ালৰ মাটি ভাগ-বাটোৱাৰা হৈ ক্ষুদ্ৰতম আকাৰত পৰিণত নহয় তাৰ বাবেও ৰাষ্ট্ৰই ভবা উচিত হব। হিন্দু আৰু মুছলমান ধৰ্মৰ নিৰ্দ্দেশমতে দেশৰ চলিত প্ৰথা অনুসৰি পৈতৃক সম্পত্তি পুত্ৰ আৰু অনেক সময়ত জীয়াৰী-বোৱাৰীৰ মাজত ভাগ হৈ যায়। তাৰেই ফলত দেশত টুকুৰা টুকুৰ মাটিৰ পৰিমাণ আৰু তাৰ লগে লগে কৃষিৰ লোকচান বাঢ়ে।

পশ্চিমৰ নীতি কিন্তু পৃথক ধৰণৰ। আমাৰ কিছুমান পৰ্ব্বতীয়া জাতিৰ নীতি তেওঁলোকৰ লগত মিলে। পৈতৃক সম্পত্তি পুত্ৰসকলৰ বা জী-সকলৰ এজন বা এজনীয়েহে পাব। বাকী সন্তানবোৰক তাৰ কাৰণে অন্য সম্পত্তি দিয়া হব আৰু তেওঁলোক আত্ম-নিৰ্ভৰশীল হব লাগিব। সেই বাবেই সেই সেই দেশৰ লোকসকল সৰুৰেপৰা দুৰ্ঘোৰ আত্ম-নিৰ্ভৰশীল আৰু স্বাধীন চেতীয়া হয়।

আমাৰ দেশৰ লোকৰ ধাৰণা আছে যে পৈতৃক ভিঠা এৰিব নাপায়। ই তীৰ্থ-ভূমি। ফলত হাই-কাজিয়া বাঢ়ে আৰু নিজৰ ওপৰত নিৰ্ভৰ কৰি বাহিৰলৈ যোৱাৰ আগ্ৰহ কাৰো নোহোৱা হয়। এনে স্থলত যদি বিয়া দি উলিয়াই দিয়া ছোৱালীয়েও আধুনিক আইনমতে ভাগ টানিবৰ হয়— তেনেহলে কি যে অৱস্থা এটাৰ সৃষ্টি হব তাক সহজে অনুমান কৰা যায়। 'এটা তিলকে সাত ভায়েকে ভগাই খাইছিল' ই সাধুকথাৰহে উপদেশ আৰু এটা ৰূপক মাত্ৰ। ভাগ বাটোৱাৰাৰ সময়ত ভাই ভাইৰ ভিতৰত মিল আনিবলৈ অৱশ্যে মেনাসকলে উপদেশৰ ছলেৰে ইয়াৰ পটন্তৰ সততে দিয়ে।

আজিকালিৰ সামাজিক ৰীতি মতে ভাই ভাইৰ মাজত হোৱা ভাগ-বাটোৱাৰাই জমি এনেভাৱে খণ্ড-বিখণ্ড, টুকুৰা-টুকুৰ; ছিন্ন-বিছিন্ন কৰি পেলাইছে যে এই নীতি আৰু কিছু সময় কাল চলি থাকিলে শস্যৰ উৎপাদন আৰু বেছিকৈ নাইকিয়া হব আৰু কাজিয়া-পেচালবো ওৰ নপৰিব। মাটিৰ ভাগ-বাটোৱাৰাৰ সময়ত অংশীদাৰসকলৰ মাজত সদ্ভাব নাথাকিলে এনেকুৱাও হয় যে এফেটা মৰকে তেওঁলোকে ফাড়ি-ছিডি ভগাই লবলৈও

উন্নত হয়। খেতিৰ মাটিৰ ক্ষেত্ৰতো নিচেই ক্ষুদ্ৰ একোডৰা মাটিকে তেওঁলোকে এনেভাৱে ভগাই লয় যে তাত কোনেও নাঙল যুৰাব নোৱাৰাত পৰে। ফলত মাটিৰ ফল নোহোৱা হয় আৰু মাটি চন পৰি থাকে। এনেবোৰ কাৰণত ভূমিৰ খণ্ডীকৰণ বা বাটোৱাৰাত চৰকাৰৰ পক্ষৰপৰা বাটোৱাৰা হৈ নিম্নতম কিমান পৰিমাণৰ কম অংশ বা ভাগ হব নোৱাৰে তাৰ নিৰাকৰণ আইনত বান্ধি দিয়া।

কৃষিৰ কালৰশ্বা চাই গাঁৱৰ পুনৰ সংগঠন কৰিবলৈ হলে টুকুৰা-টুকুৰ মাটিবোৰ লগ লগাই একোটা নিৰ্দ্দিষ্ট পৰিমাণৰ ভূমিখণ্ড তৈয়াৰ কৰিবলৈ যত্ন চলাব লাগে। তাকে কৰিবলৈ হলে বিস্তৰ অদল-বদল বা সাল-সলনিৰ আৱশ্যক হব। অৰ্থাৎ এযো একো ঠাইত ওচৰৰ মানুহক মাটি এৰি দি কোনো কোনোৱে তাৰ সলনি নিজৰ সুবিধা হোৱাকৈ নিজৰ নিজৰ মাটিৰ ওচৰত মাটি লব লাগিব। তেনেবোৰ সাল-সলনি কাৰ্য্যকৰী কৰিবলৈ হলে ক্ষমতাশালী একোটি ভূমি-সংগঠন চৰকাৰী কমিটি অথবা চৰকাৰী বিষয়া পাতি দিব লাগে। যত উপযুক্ত ধৰণৰ অদল-বদল কিবা কাৰণত কাৰ্য্যকৰী নহয় তাত সেই কমিটিয়ে বা বিষয়াই আৱশ্যকমতে জমি দাম দি অধিগ্ৰহণ কৰি লৈ সেই দামতে খেতিয়কৰ মাজত উচিত নীতি মতে বিতৰণ কৰাৰ ব্যৱস্থা কৰিব লাগে। এনে বিতৰণৰ লক্ষ্য হব—খেতিৰ সুবিধালৈ নজৰ ৰাখি মাটিৰ চৌহদ তৈয়াৰ কৰা আৰু সুশৃঙ্খল কৃষি নীতিৰ দ্বাৰা শস্যৰ উৎপাদন বৃদ্ধি কৰা। জ'ৰীপ বা ছেটেলমেণ্টৰ সময়ত এনেবোৰ পৰিবৰ্ত্তন কাৰ্য্যকৰী কৰিবলৈ সুবিধাজনক হৈ পৰে।

— x —

মাটিৰ মালিকী স্বত্ব আৰু প্ৰজাৰ মূলতত্ত্ব

মাটিৰ সীমাৰ কাজিয়া লগোৱা আৰু জোৰাত মণ্ডল-কানুনগো একে মূৰ্ত্তিতে শিৱ আৰু ব্ৰহ্মাস্বৰূপ; ভাঙেও, পাতেও। মণ্ডলৰ 'কঁটাৰ মূৰতে এক টাঁৰ' বোলা কথা কোনে বাৰু শুনা নাই? কঁটাটো হবাৰ কায়দাতে এক টাঁৰ মাটি ইফাল সিফাল কৰা যদি সহজ হৈ পৰে তেন্তে কঁটাৰ মূৰতে এক টাঁৰ—কথাটোৰ তাৎপৰ্য্যলৈ ভয়ে বা নকৰিব কেইজনে? কথাটো অলপ টং কৰি চালে পোৱা যায়—হয়ো। কাৰণ ঘূৰি থকা ঘূৰণীয়া পৃথিৱীখনৰ ওপৰত কৰা অস্থায়ী সীমাবোৰ কাকতৰ ক্ষুদ্ৰ ক্ষুদ্ৰ আঁচ কেইটাই কড়া-ক্ৰান্তিলৈ ধৰিব কিদৰে? ফলত জ'ৰীপ কাৰকৰ বিচাৰ বিবেচনাৰ স্থল ভালেখিনি থাকি যায়। বিচাৰত যিয়ে লাভবান হয় তাৰে কাৰণে মণ্ডল ভাল, যি ক্ষতিগ্ৰস্ত হয় তাৰ কাৰণে মণ্ডল হৈ পৰে কাল! গাঁৱৰ খুহতীয়া বুঢ়া লোকে লৌকিক শ্ৰুতি শাস্ত্ৰৰ পৰা সেই কাৰণেই কয় যে তাহানি ত্ৰিশঙ্কু ৰজাই হেনো পৃথিৱীত মণ্ডল-কানুনগোৰ দৌৰাত্ম্য সহ্য কৰিব নোৱাৰিহে পৃথিৱী আৰু স্বৰ্গৰ মাজত শূন্যতে এখন ৰাজ্য পাতি লব খুজিছিল! গছৰ ওপৰত পানীৰ যোগান ধৰি থাকি আজিও নাৰিকলে তাৰেই সাক্ষ্য দি আছে বুলি মানুহৰ ধাৰণা। নাৰিকলৰ এইযেৰা জন্ম-কথা যিসকলে জানে তেওঁলোকে ভূমি বিভাগৰ যিকোনো বিষয়াকে ততালিকে ডাব-নাৰিকল যাচে। কাৰণ নাৰিকল এই বিষয়াসকলৰ জনম শত্ৰু। শত্ৰুক ধৰি আনি আগত পেলাই দিলে—কোন খুচী নহব?

মহাদেৱৰ নন্দী-ভৃঙ্গী আৰু বিক্ৰমাদিত্যৰ তাল-বেতালৰ দৰে ছব্‌ডিপুটিৰ মণ্ডল-কানুনগো যথেষ্ট শক্তিশালী বিষয়া। কানুনগোৰ জন্ম-কথা আগতে কৈ অহা হৈছে। এতিয়া মণ্ডলৰ কথা কোৱা যাওক। সংস্কৃত শাস্ত্ৰত

সীমাবদ্ধ ভূমি-খণ্ডকেই মণ্ডল বোলা হয়। অৱশ্যে মণ্ডল শব্দৰ সংস্কৃতত ইয়াত বাজেও অনেক অৰ্থ আছে। মণ্ডল শব্দই বিয়াত বামুণে দিয়া মণ্ডলৰ কথাও ডেকাসকলৰ মনলৈ আনে। তাত আচৰিত হবৰ একো নাই। 'সন্ধ্যা হ'ল'—বোলাৰ লগে লগে যদি চোৰ, পূজাৰী আৰু ছাত্ৰৰ তিনিওৰো তিনিটা অৰ্থ মনলৈ আহিব পাৰে তেনেহলে মণ্ডল শব্দয়ো ডেকাৰ মনত এটা ভাৱ, বুঢ়াৰ মনত অন্য এটা অৰ্থ জগোৱা আচৰিত নহয়। সি যি হওক, আজিৰ মাটিজোখা মণ্ডলক সংস্কৃত শাস্ত্ৰৰ মণ্ডল শব্দৰ পৰা অহা বুলিলে মানিব লাগিব যে এই মণ্ডলসকলৰ অধিকাৰ তেনেহলে স্বৰ্গৰাজ্যতো আছিল। ক'ৰণ স্বৰ্গৰাজ্যতো চন্দ্ৰ-মণ্ডল, সূৰ্য্য-মণ্ডল আদি অনেক মণ্ডল আছিল। পিছে প্ৰত্ন-তত্ত্বৰ পম খেদিলৈ ভয় হয় জানোচা ডিকেন্সৰ "পিক্‌ৱিক পেপাৰচৰ" আলিৰ দাঁতিত পৰি থকা শিলাখণ্ডত মিছায়ে অৰ্থপূৰ্ণ সঙ্কেট বাহিৰ কৰিবলৈ যত্ন কৰা প্ৰত্নতাত্ত্বিকৰহে অৱস্থা পোৱা যায়! গতিকে মণ্ডলৰ কাৰণে বৰ উচ্চ গোত্ৰৰ সন্ধানৰ দুৰাশা এৰি চুকি পোৱা কথাকে কোৱা যাওক।

মণ্ডল শব্দটো গুৰিতে কোনোবা স্থানীয় 'ট্ৰাইবেল' শব্দ আছিল যেন অনুমান হয়। 'মণ্ডল' মানে মুখিয়াল বা মুৰব্বি। এই মণ্ডলেই কোনো কোনো ঠাইত মাটিৰ কৰ-কাটল তোলে আৰু একো একো অঞ্চলৰ মাটি-বাৰী চলায়। কোনো কোনো ঠাইত সিদিনালৈকে জঙ্গলীমহল বুলি কিছুমান অঞ্চল আছিল। তাত মণ্ডলেই আছিল মুখিয়াল লোক আৰু তেঁৱেই সৰ্ব্বেসৰ্ব্বা। উনবিংশ শতিকাৰ সেই সিদিনালৈকে বঙ্গদেশৰ মেদিনীপুৰ জিলাৰ কোনো কোনো অঞ্চলক জঙ্গল-মহল বোলা হৈছিল আৰু তাত্ৰ জনবৰ্গইহে মানুহে লগেভাগে খেতি কৰিছিল।* গাৱঁৰ মুখিয়াল লোকজনক তাত 'মণ্ডল' বোলা হৈছিল আৰু তেওঁৱেই যাৱতীয় সকলো ৰায়-তৰ ভাগ দিছিল আৰু গাঁৱৰ সকলো মাটি তেওঁৰ নামতেই পট্টন লোৱাৰ নিয়ম আছিল। তেওঁ অৱশ্যে কেতিয়াও বন্ধক হৈ থকা হোৱা নাছিল।

* Even in Bengal traces of community right in cultivable lands were in existence in the early part of the 19th century among tribal people of what is known as "Jungle Mahal" in the district of Midnapore. R. C. A. R. C.

বৰঞ্চ প্ৰয়োজনক অনুযায়ী সকলোকে জমিবোৰ ভাগ কৰিহে দিছিল। এই নিয়মৰ সূত্ৰ চিন অসমৰ আৰু চট্টগ্ৰামৰ ঝুম খেতিত লক্ষ্য কৰা যায়। *

এইদৰে কোনোৱে যদি দেৱভাষা সংস্কৃতৰপৰা মাটিজোখা মণ্ডল অহা নাই বুলি ধৰে তেনেহলে পাহাৰী ভাষাৰপৰা অহা বুলি লবলৈ যুক্তিৰ নাটনি নহব যেন পাওঁ। যদি ইয়াতে কোৱা যায় দোষোৰ-মোৰোৰ কিয়, এটা ঠিক কৰি থোৱাহে ভাল, তেনেহলে তাৰ উত্তৰ এয়ে হব যে ভাষাতত্ত্ব এনেকুৱাই। এজনে কামাখ্যা দেৱীকো নি পাহাৰী দেৱী পাতে আনজনে আকৌ নি সৰ্গৰ কামধেনুৰ লগত সম্বন্ধ থকা ভৱানী দেৱীৰ ঠাইত বহুৱায়। দ মাটিৰ সীমাৰ দৰে ভাষাৰ শব্দাৱলীৰ ইতিহাসো অনেক ক্ষেত্ৰত পৰিবৰ্ত্তন-সাপেক্ষ।

এতিয়া চোৱা থাওক— মণ্ডল জনগোষ্ঠি যি খাজনা বা বেণ্ট আদি ঠিক কৰে তাৰ মূল সূত্ৰ কি? মাটিৰ আচল মালিকেই বা কোন?

আজিৰ জগতত 'নাঙল যাৰ, মাটি তাৰ' বুলি একাষাৰ কথা গছে-বিৰিখে প্ৰতিধ্বনিত হব লাগিছে। কথাষাৰ অৰ্থত ভয়ঙ্কৰ! কাৰণ ই আমাৰ ভূমি-সম্পত্তি সম্পৰ্কীয় বৰ্ত্তমান বদ্ধমূল হৈ থকা ধাৰণাৰ ভেটিকে কঁপাই তুলিছে। 'নাঙল যাৰ, মাটি তাৰ' ধ্বনি যিমানে উচ্চ হৈ উঠে, যিমানে তাৰ প্ৰতিধ্বনি বিয়পিবলৈ ধৰে সিমানে অ-খেতিয়ক ভূস্বামী-সকলৰ হিয়া কম্পমান হৈ উঠে। গভীৰ নিশা বতাহৰ আৱাজত হোৱা

---

* The Mandali Tenure of some district originated with the patriarch, or head man (locally known as mandal) of each community of the tribal people. The Mandal was the sole representative of the community in its dealing with the outside world. Each Mandal took settlement of lands in the village on behalf of the community and he then parcelled out lands to the different members according to their requirements; keeping out certain lands for common use of the whole community. Traces of such communal rights are still to be found in the Jhumming cultivation in the Garo Hills in Assam and in the Chittagong Hill Tracts—Report of the Congress Agrarian Reforms Committee.

প্ৰতিধ্বনিয়ে কৃপণৰ শঙ্কাকুল মনত আতঙ্কৰ সৃষ্টি কৰাৰ দৰে উক্ত ধ্বনিয়েও আজি নিজে খেতি-নকৰা মাটি-গিৰীসকলৰ অন্তৰত বিভীষিকাৰ সৃষ্টি কৰিছে। তাৰ প্ৰতিক্ৰিয়াতে হৈছে জমিদাৰসকলৰ দ্বাৰা ধুমাধুম মাটি বিক্ৰী।

'নাঙল যাৰ, মাটি তাৰ' ধ্বনিৰ গুৰিতে আছে এনে এটি ধাৰণা যে বায়ু পানী আৰু ভূমি জীৱৰ জন্মগত সম্পত্তি। তাৰ ওপৰত কৰ-কাটল, তাৰ ব্যৱহাৰত বাধা, তাৰ বিতৰণত অবিচাৰ কোনেও সহ্য নকৰে; কাৰণ তিনিও বিধ সম্পত্তিৰ এবিধো কোনেও হাতেৰে তৈয়াৰ কৰা নাই; মৃত্যুৰ লগে লগে সিপুৰীলৈও নিনিয়ে। গতিকে ইয়াৰ নিয়ন্ত্ৰণ বা বিতৰণ সদায় মুক্ত-স্বত্ব বা প্ৰয়োজনৰ ওপৰত নিৰ্ভৰ কৰিব লাগে।

'নাঙল যাৰ, মাটি তাৰ' কথাষাৰ নতুন আৰু বিপ্লৱসূচক যেন অনুমান হয় যদিও আচলতে ই বিপ্লৱসূচক নহয়, বিবৰ্ত্তনসূচকহে। এই ভাৱৰ কথা পুৰণি শাস্ত্ৰত ভালকৈয়ে পোৱা যায়। জৈমিনিৰ পূৰ্ব্ব মীমাংসাৰ ৬ষ্ঠ অধ্যায়ৰ সপ্তম শ্লোকত আছে "ৰজাই কাকো মাটি একেবাৰে দি দিব নোৱাৰে, কাৰণ ই তেওঁৰ নিজা সম্পত্তি নহয়। ইয়াত খেতি কৰি তাৰ উৎপন্নেৰে জীৱন ধাৰণ কৰি থকা সকলো লোকৰে ই উমৈহতীয়া সম্পত্তি।" * আকৌ কৌটিল্যৰ অৰ্থ শাস্ত্ৰত আছে—"খেতিৰ বাবে প্ৰস্তুত কৰা মাটি কৰদাতাসকলক জীয়াই থকা কালডোখৰৰ কাৰণে মাত্ৰ দিব লাগে। যিলোকে নিজে খেতি নকৰে আৰু অন্যক দিয়ে তেওঁবিলাকৰ পৰা তেওঁৰ মাটি বাজেয়াপ্ত কৰিব লাগে। নতুনকৈ আবাদ কৰি পত্তন লোৱা মাটিৰ কাৰণে আৰু হঠাৎ ঘটা দুৰ্যোগতহে মাত্ৰ খাজনা মাফ দিয়া যায়। *

---

* "The king cannot give away the earth, because it is not his exclusive property, but is common to all beings enjoying the fruits of their own labour on it. It belongs to all alike." Purba Mimangsa

* "Lands prepared for cultivation shall be given to tax-payers (Karada) only for life (Ekapurushikani). Lands may be confiscated from those who do not cultivate them and give them to others. Either on the reason of opening new settlements or on any other emergent occasion, remission of taxes shall be made." Artha Sastra

তেনেহলে দেখা গ'ল অতীজৰ কোনো কোনো সময়ত ৰজাৰ মাটি-বাৰীৰ মালিক বুলি ধৰা হৈছিল আৰু কোনো কোনো সময়ত মাটিবাৰী আছিল ৰাইজৰ সম্পত্তি; ৰজা আছিল তাৰ ৰক্ষকস্বৰূপ। এই খিনিতে মাটিৰ মালিকী স্বত্ব সম্পৰ্কে নানা মত পোৱা যায়। পণ্ডিত জৱাহৰলাল নেহৰুৰ মতে ভাৰতত জন আৰু সম্পত্তি সম্পৰ্কে ৰজাৰ ক্ষমতা ইউৰোপৰ ৰজাৰ ক্ষমতাতকৈ পৃথক ধৰণৰ আছিল। ইউৰোপত ৰজা আছিল তেওঁৰ ৰাজ্যৰ সকলো লোক আৰু সম্পত্তিৰ অধিকাৰী। এই ক্ষমতা তেওঁ তেওঁৰ তলতীয়া লৰ্ড, বেৰণ আদি কৰ্মচাৰীসকলক দিছিল। এইদৰেই ক্ষমতাৰ খটখটী তৈয়াৰ হৈছিল। ৰাজ্যৰ মাটি আৰু মাটিৰ লগত জড়িত থকা লোকসকল আছিল ফিউডেল লৰ্ডসকলৰ সম্পত্তিৰ দৰে, আৰু সেইমতে গৈ ৰজাৰো নিজৰ সম্পত্তিৰ দৰে। এয়ে আছিল ৰোমানসকলৰ ৰাজ্যৰ ধাৰণা।

ভাৰত কিন্তু এনেধৰণৰ নাছিল। ভাৰতত ৰজাই প্ৰজাসকলৰপৰা কিছুমান টেক্স আদায় কৰিছিল আৰু এই খাজনা বা টেক্স আদায়ৰ ক্ষমতা তেওঁ অন্যলোকৰ ওপৰত অৰ্পা কৰিব পাৰিছিল। ভাৰতত খেতিয়ক সম্প্ৰদায় গৰাকীসকলৰ চাকৰৰ দৰে নাছিল। প্ৰচুৰ মাটি পৰি আছিল আৰু সেইদেখি কাৰো মাটি কাঢ়ি লোৱাৰ কোনো প্ৰশ্ন নুঠিছিল। এই-দৰে ভাৰতত পশ্চিমৰ দৰে ভূস্বামী ক'তো নছিল। আকৌ সেইবুলি কোনো খেতিয়ক তেওঁৰ নিজে খেতিকৰা মাটি টুকুৰাৰ সম্পূৰ্ণ মালিকদাৰো নাছিল। স্বামিত্ব আৰু মাটিৰ মালিকী স্বত্ব এই দুয়োটা বস্তুৰ ধাৰণা বহু-কাল পিছত বৃটিছ লোকসকলে ভাৰতলৈ আমদানি কৰিছিল, আৰু তাৰেই বিষময় ফল আজিও আছে। *

* The whole conception of monarchical power differed from that of European Feudalism, where the king had authority over all persons and things in his domain. This authority he delegated to lords and barons who vowed allegiance to him. Thus a hierarchy of authority was built up. Both the land and the people connected with it belonged to the feudal lord and, through him to the king. This was the development of the Roman conception of dominion. In India there was nothing of this kind. The

আচলতে মাটিৰ মালিক ৰজাও নাছিল প্ৰজাও নাছিল। ৰজায়ো মাটিক ভগৱানৰ বস্তু আৰু সেই কাৰণে তাত সকলোৰে আৱশ্যক অনুযায়ী অধিকাৰ আছে বুলি ভাবিছিল আৰু প্ৰজাসকলেও সেই ভাবেই গ্ৰহণ কৰি ৰজাক ভগৱানৰে প্ৰতিনিধিৰূপে জ্ঞান কৰিছিল। আজিৰ দিনতো মাটিৰ খাজনাক টেক্স নে ৰেণ্ট নে অন্য কিবা বুলি ধৰা হব, সেই সম্পৰ্কে নানা পণ্ডিতৰ নানা মত। যদি চৰকাৰ বা ষ্টেটক মাটিৰ মালিক বুলি ধৰা হয় তেনেহলে খাজনা হব ৰেণ্ট। পট্টাদাৰক বা ভূমিৰ অধিকাৰীক (Land holder ক) তেতিয়া দখলকাৰ বা প্ৰজা (tenant) বুলিহে ধৰিব লাগিব। তেতিয়া মাটিৰ ওপৰত পট্টাদাৰৰ মালিকী স্বত্ব নাথাকে। মাটিৰ মালিক হব চৰকাৰ বা ষ্টেট কিন্তু বস্তুতঃ জানো আমাৰ দেশৰ মাটিৰ মালিক পট্টাদাৰ ভূস্বামীসকল নহয়? মাটি, অন্ততঃ মাদি মাটি, সদায় পট্টাদাৰৰ নিজা সম্পত্তি বুলি পৰিগণিত হৈ আছিছে। কেতিয়াবপৰা সেনেকৈ সেই স্বত্ব আহিল তাক আগতে বৰ্ণোবা হৈছে। মাদি মাটি মানুহে বেচা-কিনা কৰিব পাৰে, বন্ধক বা জামিন দিব পাৰে, দান বা যৌতুকত দিব পাৰে। কিন্তু আকৌ যেতিয়া খাজনা আদায় নহয়, নতুবা পট্টাদাৰৰপৰা অন্য কিবা কাৰণত ষ্টেটৰ বা চৰকাৰৰ পাওনা থাকে—তেতিয়া জানো মাটি বিক্ৰী কৰি দি ষ্টেটে পাওনাটো আদায় নকৰে? কোনো কোনো ক্ষেত্ৰত চৰকাৰে জানো সেই মাটি চৰকাৰী কৰি নিজৰ হাতলৈ নিনিয়ে? সেইদৰে চালে দেখা যায় নিৰ্দিষ্ট খাজনাৰ কাৰণে ষ্টেটে দখলকাৰক মাটি লীজ দিয়ে আৰু সেই খাজনা অনাদায়ত পুনঃ বিক্ৰী কৰি দিয়ে নতুবা নিজৰ অধীনলৈ নিয়ে।

---

king had the right to collect certain taxes from the land and the revenue-collecting power was all he could delegate to others The peasant in India was not the lord's serf. There was plenty of land available and there was no advantage in dispossessing the peasant. Thus in India there was no landlord system, as known in the west, nor was the individual peasant the full owner of his patch of land. Both these concepts were introduced much later by the British with disatrous results.

—The Discovery of India by Jawaharlal Nehru.

যদি মালিকী স্বত্ব চৰকাৰৰ নাথাকেয়ে তেনেহলে বিক্ৰী কৰি দিব কেনেকৈ ? নতুবা নিজৰ হাতলৈয়ে ঘূৰাই নিব কিয়বে ?

তেনেহলে দেখা যায় পট্টাদাৰ মাটিৰ মালিক হৈও মালিক নহয়। কাৰণ খাজনা অনাদায়ত তেওঁৰ মাটি চৰকাৰে নিব পাৰে বা নিলামত দিব পাৰে। এজনৰ সম্পত্তি অন্য এজনক কিছুমান চৰ্তত দিয়াৰ দৰে যদি মাটিও চৰকাৰে ব্যক্তিক দিয়ে বুলি ধৰা যায় তেনেহলে ব্যক্তি বা পট্টাদাৰৰ মাটি বিক্ৰীৰ ক্ষমতা নাথাকে। গতিকে দেখা গ'ল বৰ্তমান অৱস্থাত পট্টাদাৰ নতুবা চৰকাৰ কোনো মাটিৰ সম্পূৰ্ণ মালিক নহয়। দুয়ো নিৰ্দ্দিষ্ট চৰ্তৰ ওপৰত নিৰ্ভৰ কৰি থকা মালিক। অন্য কথাত পট্টাদাৰৰ মাটি চৰকাৰৰ ওচৰত খাজনাৰ কাৰণে জামিনত (hypothecated হৈ) থাকে।

আকৌ খাজনাক যদি মাটিৰ খেতিৰপৰা পোৱা লাভৰ অংশ বুলি ধৰা হয় তেনেহলে তাক আয়-কৰ (income-tax) বুলিও ধৰা যাব পাৰে। কিন্তু সেইটোও নহয়, কিয়নো কোনো কৃষকে খেতিৰ উৎপন্নক লাভৰ বস্তু বুলি কেতিয়াও নাভাবে। গতিকে ইয়াত লাভৰ অংশৰ কথা নুঠে।

এইদৰে দেখা যায় আজিকালিৰ দৰে আগৰ দিনতো মাটিৰ সৰ্ব্বময় মালিকী স্বত্ব ব্যক্তিৰ ওপৰত আছিল নে কোনো সমূহীয়া অনুষ্ঠান (Village Community)ৰ ওপৰত আছিল তাক ঠাৱৰকৈ এনে আধাৰে কোৱা নাযায়। এই বিষয়ত নানা পণ্ডিতে নানা মত প্ৰকাশ কৰিছে। মেক্সমুলাৰ (১), এলফিনষ্টোন (২) আদি চাহাবসকলৰ মতে অতীত ভাৰতত মাটিৰ স্বত্ব গাঁৱৰ সাম্প্ৰদায়িক অনুষ্ঠানৰ ওপৰত আছিল। আকৌ বেডেন পাৱেল চাহাবে কয় আৰু বঙ্গীয় ভূমি-আইন (The Land Laws of Bengal) বোলা কিতাপতো পোৱা যায় যে সকলো মাটিত গাঁৱৰ লোকৰ সমূহীয়া-স্বত্ব কেতিয়াও নাছিল। এইটো হব পাৰে যে যবে পতি নিজাকৈ কিছু জমি থকাৰ উপৰিও কিছুমান মাটি খেতিৰ কাৰণেই হওক, গৰু চৰোৱা আদি সমূহীয়া কামৰ কাৰণেই হওক আচুতীয়াকৈ ৰখা হৈছিল। বৰ্ত্তমান সময়ত ভূমি-দান যজ্ঞত মাটি লৈ স্থানীয় ভূমিহীন বাইজক ভগাই দিয়াৰ দৰে তেতিয়াও কিছুমান ঠাইত গাঁৱৰ মুখিয়াল লোকজনে ভূমি পট্টন কৈ গাঁৱৰ

(১) India— What it can teach us—Max Muller.
(২) History of India by Elphinstone

খেতিয়কসকলৰ মাজত ভগাই দিছিল। ঊনবিংশ শতিকাৰ আগছোৱালৈকে তেনে প্ৰথা বঙ্গদেশৰ মেদিনীপুৰ জিলাত চলি আছিল বুলি আগতে উল্লেখ কৰা হৈছে। জঙ্গলৰ মাটি পোনতে সমূহীয়াকৈ ভাঙি লৈ সুবিধামতে ব্যক্তিগতভাৱে দখল কৰাৰ সূচনাৰ কাৰণেই এই প্ৰথাৰ আবিৰ্ভাৱ হৈছিল বুলি ভাবিবৰ কাৰণ আছে। জঙ্গল মাটিবোৰত এই সমূহীয়া আৰু ক্ৰমগত ব্যক্তিগত দখলৰ মিশ্ৰিত নাতিৰ প্ৰচলন আছিল।

মুঠতে মাটিৰ স্বত্ব আজিৰ দিনত ব্যক্তিগত স্থাৱৰ সম্পত্তি হোৱাৰ দৰে আগৰ দিনত নহৈছিল। ই কেতিয়াবা ব্যক্তিগত, কেতিয়াবা সমূহীয়া, কেতিয়াবা ৰাজকীয় বা জমিদাৰী আৰু কেতিয়াবা মিশ্ৰিত অনিশ্চিত স্বত্বৰ বস্তু আছিল। মাটিও আছিল তেতিয়া প্ৰচুৰ। সাতে-পাঁচে ব্যক্তি আৰু ব্যক্তিৰ মাজত মাটিৰ কৃত্ৰ কাজিয়া তেতিয়া সিমান প্ৰবল নাছিল। যি কাজিয়া আছিল সি ৰজা আৰু ৰজাৰ মাজতহে আছিল।

মাটি কিনা-বেচা কৰিব পৰা এক প্ৰকাৰ পণ্য দ্ৰব্য হ'ল ঘাইকৈ ইংৰাজসকলৰ ৰাজত্বৰ লগে লগে। "ডিচকভাৰি অব ইণ্ডিয়া" (Discovery of India) নামৰ কিতাপত পণ্ডিত নেহৰুৱে কৈছে—বৃটিছ শাসনৰ সবাতোকৈ চকুতলগা আৰু সুদূৰব্যাপী পৰিবৰ্তন হ'ল—আগৰ কৃষি নীতিৰ উচ্ছেদত ব্যক্তিগত সম্পত্তিৰ মনোবৃত্তি সৃষ্টি আৰু জমিদাৰী গঢ়ি তোলাত। বস্তুৰ বিনিময় প্ৰথাৰ স্থান ধনে লগে যাক মাটিও হৈ পৰিল এবিধ পণ্য-দ্ৰব্য। (৩)

লৈৰ বাজ হ'লেই শিথিল হয় ত'তেই সোঁতে পোৱালি দিয়াৰ দৰে সমাজবন্ধনবোৰ শিথিল প্ৰস্থিতেই বিভিন্ন নীতি নিয়মে পুলি-পোখা মেলে। ভূমিৰ মালিকী স্বত্ব সম্পৰ্কেও সেই একে কথাই খাটে, আৰু সেই একে কাৰণবাই জমিদাৰী, ৰায়তোৱাৰী, মহলৱাৰী আদি বিভিন্ন ভূমি নীতিৰ জন্ম।

জমিদাৰী প্ৰথা যে ইংৰাজবিলাকৰহে দান এনে নহয়। ই পূৰ্ব্বৰপৰাই প্ৰকাৰান্তৰে প্ৰচলিত আছিল। মুছিয়াল লোকসকলৰ নিজৰ জীৱন কাল-

(৩) The most obvious and far-reaching change was the break-up of the agrarian system and the introduction of concept of private property and landlordism. Money had crept in and land become a marketable commodity—Discovery of India. —Jawaharlal Nehru.

ছোৱাত ভোগ কৰিবলৈ কেতিয়াবা কেতিয়াবা একো একো অঞ্চল ঠাই দিয়া হৈছিল। তাৰ পৰিবৰ্ত্তে তেওঁলোকে ৰজা বা শাসনকৰ্ত্তাক যথাসময়ত দেশ-ৰক্ষা, শাসন আদি কামত সহায় কৰিছিল। জমিদাৰী প্ৰথাৰো আৰম্ভ বৃটিছসকল অহাৰ আগতে ভেনেকৈয়ে হৈছিল।

বৃটিছৰ আমোলত জমিদাৰসকল আছিল গোনতে একো একো অঞ্চলৰ আঞ্চলিক ৰাজহৰ ঠিকাদাৰৰ দৰে। নিৰ্দিষ্ট খাজনাৰ কাৰণে তেওঁলোকক নিৰ্দ্দিষ্ট একোটা এলেকা স্থায়ীভাৱে বন্দবস্ত কৰি দিয়া হৈছিল। এইদৰে জমিদাৰসকলে পুত্ৰ-পৌত্ৰাদিক্ৰমে উত্তৰাধীকাৰীসূত্ৰে এই স্বত্ব ভোগ কৰিবলৈ ধৰিলে। অকল সেয়ে নহয়, ৰাজহ সংগ্ৰহৰ সুবিধাৰ্থে তেওঁলোকৰ তলত দিয়া সৈন্য-সামন্তও ক্ৰমে তেওঁলোকৰ নিজা বস্তুৰ দৰে হ'ল। এই সৈন্য-শক্তিৰ সহায়ত তেওঁলোকে নিজ নিজ অঞ্চলত সৰ্ব্বময় প্ৰভুত্ব বিস্তাৰ কৰিবলৈ সুযোগ লভিলে। ফলত জমিদাৰসকল খাজনাৰ ভাৰপ্ৰাপ্ত বিষয়া গুচি শান্তিৰক্ষা, দেশৰক্ষা, স্বাস্থ্যৰক্ষা আদি সকলো কৰ্ত্তৃত্বৰ প্ৰভু হৈ পৰিল। ক্ৰমে ক্ৰমে দেশৰ নিয়ম-কানুনবো তদনুযায়ী পৰিবৰ্ত্তন ঘটোৱা হ'ল। এই সৰ্ব্বময় কৰ্ত্তৃত্ব আৰু উত্তৰাধিকাৰীসূত্ৰে পোৱা জমিদাৰি —এই দুয়োটা বস্তু জমিদাৰসকলৰ কাৰণে ক্ৰমে গৈ হৰিণৰ মাংসই বৈৰী হোৱাৰ দৰে হ'ল।

বৃটিছৰ আমোলত তলৰ ৰায়তসকলক জমিদাৰসকলে গোনতে মাটিৰ স্বত্ব সমূলি দিয়া নাছিল। কিন্তু বাধ্যত পৰি পিছত ক্ৰমে ক্ৰমে কিছু স্বত্ব দিবলৈ ধৰে। প্ৰথমে ৰায়তসকলে ৰবাৰি আৰু এৰা-এৰাৰ ওপৰত যি খাজনা পাইছিল তাকেই জমিদাৰে গ্ৰহণ কৰিছিল; কাৰণ মাটিৰ জৰীপ নাছিল। খাক বাদ্ধি বা খাউকত্তে একোটা প্ৰাকৃতিক পৰিসীমাৰ মাজত মাটিৰ আনুমানিক পৰিমাণ ধৰি বন্দবস্তি দিয়াৰ নিয়ম চলিছিল।

এইদৰে জমিদাৰসকলে যেতিয়া গৈ মাটিৰ মালিকী স্বত্ব পৰ্য্যন্ত লৈ বহিল তেতিয়া জমিদাৰী অঞ্চল হৈ পৰিল তেওঁলোকৰ ভৰিৰ তলৰ দুৰ্ব্বি বন। তেতিয়া কেতিয়াবা কোনো জমিদাৰ হৈ পৰে ৰাম ৰজা, কোনো কোনো সময়ত আকৌ হৈ পৰে ৰাৱণ-ৰজা। কাৰো দিনত ৰায়তে মাটিৰ ওপৰত স্বত্ব পোৱা যেনেই অনুভৱ কৰে, আকৌ কাৰো দিনত বা ৰায়ত হৈ পৰে পিৰিহঁতৰ বস্তুৰ লগত সম্বন্ধ নথকা পথৰ ভিখাৰী বা বাটৰ বাটৰুৱাৰ দৰে। কোনো কোনো সময়ত মাটিও হৈ পৰে ভিখি

গিৰীৰ সীমাৰ বঙ্কৰ হবে। গাঁৱলীয়া প্ৰবাদ আছে বোলে—তিনি ঘৰৰ সীমাত শগুনেও শ নাখায়। অৰ্থাৎ শ গেলি পচি যায়। জমিদাৰী মাটিবো অনেক ক্ষেত্ৰত তদ্ৰূপ অৱস্থা হৈছিল।*

বৃটিছ আমোলৰ আগতে অসমৰ ৰাজহ-প্ৰণালী আৰু ভূমিস্বত্ব সম্পৰ্কে আগতে আলচ কৰা হৈছে। অসমৰ ৰাজহ-প্ৰণালী যে ভাৰতৰ অন্যান্য ঠাইৰ ৰাজহ-প্ৰণালীতকৈ কিঞ্চিৎ পৃথক ধৰণৰ আছিল তাক কোনেও দুই কৰিব নোৱাৰে। অসমত গঢ়ি উঠিছিল তৰপে-তৰপে বিষয়া, খলপে-খলপে পদ-মৰ্য্যাদা আৰু স্থানে-স্থানে সম্ভ্ৰান্ত পৰিয়াল। আহোম ৰজাসকল ভূমিৰ মালীকি স্বত্ব কাকো ক'তো নিদিবলৈ সতৰ্ক আছিল। সেইবাবে খেতিৰ মাটিবোৰ খেতিয়কে বছৰৰ খেতিৰ কাৰণেহে পাইছিল। ডাঙৰ ডাঙৰ বিষয়াসকলে নিজৰ ভৰণ-পোষণৰ বাবে যি পাইছিল তাকো কোনো প্ৰকাৰ চিৰস্থায়ী বন্দবস্তত দিয়া নহৈছিল। তথাপি অন্য মাটিৰ তুলনাত এই মাটি একপ্ৰকাৰ সম্পত্তি হৈ পৰিছিল।* তেওঁলোকে শাসনত সদায় ভঙা-পতাৰ দ্বাৰা যাতে ক্ষমতাৰ সমতা ৰক্ষা কৰিব পৰা যায় তালৈ লক্ষ্য ৰাখিছিল। এজন বিষয়াক কিছু ক্ষমতা দিলে লগে লগে তেওঁক এক পিনে পঙ্গু ৰাখিবলৈও ব্যৱস্থা কৰা হৈছিল। তেওঁলোকে সমূহীয়া হিচাপে কাকো বৰকৈ বিশ্বাস নকৰিছিল, কিন্তু যি কোনো ঠাইৰ দুই একোজন বিশেষ ব্যক্তিক যথেষ্ট প্ৰাধান্য আৰু ক্ষমতা দিছিল, আৰু তেওঁলোকৰ সহায়তেই শাসনকাৰ্য্য

---

*The Zamindars were not originally land-owners, but Revenue Agents subject to official appointment by warrant and with no power of alienation. It was a gradual process by which the position became hereditary and turned into lordship — Land Revenue in British India—Baden Powell.

* Proprietory right in land was apparently not thought of and the lordship, by grant or by official position, over an area which the serfs or subjects tilled and from which the requirement of the lord's household were supplied was the only form of "estate", other than that implied by the peasant holding. — Baden Powell

সুকলমে চলাইছিল। উদাহৰণ স্বৰূপে কব পাৰি যে কামৰূপীয়া প্ৰজাক তেওঁলোকে বিশ্বাস কৰিবলৈ টান পাইছিল আৰু ক্ষমতা বৰকৈ নিদিছিল, কিন্তু সেইবুলি চান্দকুছীয়া বৰুৱা আদি কিছুমান পৰিয়ালক আকৌ অপৰ্য্যাপ্ত ক্ষমতা প্ৰদানৰ দ্বাৰা বিশ্বাস-ভাজন কৰি তুলিছিল। সম্ভ্ৰান্ত লোক আৰু বিষয়াসকলে চাকৰ-নাকৰ, পাইক-জমি আদি পাইছিল সঁচা, কিন্তু সেইবোৰৰ স্থায়ীত্ব নাছিল, আৰু সেই বাবেই সকলোৱে ৰাজ শক্তিৰ ওপৰত ভীতিপূৰ্ণ আস্থা ৰাখিছিল। আহোম ৰাজত্বৰ পূৰ্ণ পয়োভৰ আছিল শিৱসাগৰ জিলাত। সেইবাবে দৰং (মঙ্গলদৈ) নগাঁও আদি কিছুমান ঠাই শান্তিত আছিল। ক'ৰণ, যুদ্ধৰ সময়ত কিছুমান সেনা পঠিযায়েই এই ঠাইবোৰ ৰঙপ্ৰক্ৰিৰে নিশ্চিন্ত থাকিব পাৰিছিল। সেইবাবে এনেবোৰ ঠাইত স্থকীয়া স্থকীয়া ধৰণৰ কিছুমান সুকুমাৰ কলা আৰু কৃষ্টি সম্ভাৰ গঢ় লৈ উঠিছিল। যেনে—মঙ্গলদৈৰ ওজাপালি বিযাহৰ গীত, দেওধনি নৃত্য, মাৰৰ পূজা, দেউল ইত্যাদি।

ৰূঢ়ৰ শাসনৰ লগে লগে মাটিৰ বন্দবস্তিৰ ক্ৰমাৎ পৰিবৰ্ত্তন ঘটে। তেওঁলোকে অসমত ঘাইকৈ ৰায়তোৱাৰী প্ৰথাৰে ৰাজহ তুলিবলৈ স্থিৰ কৰে আৰু তদনুযায়ী মাটিৰ মোটামুটি ধৰণৰ মেপ কৰায়। প্ৰথমে ৰূঢ়ৰ আমোলত একেখন বহীকে চিঠা আৰু জমাবন্দিৰূপে ব্যৱহাৰ কৰা হৈছিল। তাত দখলকাৰ সকলৰ নাম আৰু মাটিৰ পৰিমাণ এইদৰে লিখা হৈছিল—তুলাৰাম শইকীয়া পি ৶ যদু শইকীয়া গড়ৰ উঃ ৭ টাঁৰ

তপূ. ৬ টাঁৰ, তদ ৬টাঁৰ, তপ
৩টাঁৰ ; ইয়াৰ ভিতৰত কমবেছি
৩ বিঘা—খাজনা ২ টকা, ৰেট ৯ পাই।

অৰ্থাৎ মূল সূত্ৰ আছিল-তপূ (তাৰমানে ততঃ পূবে), তদ (ততঃ দক্ষিণে), তপ (ততঃ পশ্চিমে), তউ (ততঃ উত্তৰে)।

এইদৰে ধৰ্ম্মপ্ৰাণ ভাৰতৰ কোনো ঠাইতে ঠিক ইউৰোপৰ ফিউডেলিজমৰ অৰ্থত মাটিৰ স্বত্ব কোনো দিন স্থায়ীভাৱে কাকো দিয়া নহৈছিল। অসমৰ আহোম যুগৰ শাসন ব্যৱস্থাই কিন্তু ইউৰোপীয় ফিউডেলিজমৰ সম্পূৰ্ণ প্ৰতিচ্ছবি দাঙি নধৰিলেও তাৰ এটা আভাস দিয়ে। সেই যুগত অসমত সাধাৰণ লোকৰ ব্যক্তিগত ক্ষমতা আৰু স্বাধীনতা প্ৰায় নাছিল বুলি কলেও বেছি ভুল নহব।

তলতীয়া ৰায়ত

মাটিৰ পট্টন লোৱা মানুহকে পট্টাদাৰ বা ৰায়ত বোলা হয়। পট্টাদাৰৰ তলত কিছুমান নিয়ম আৰু নির্দিষ্ট কৰ-কাটলৰ অধীন হৈ মাটি খোৱা মানুহক তলতীয়া ৰায়ত বোলা হয়। পট্টাদাৰে সাধাৰণতে দুটা কাৰণত তলতীয়া ৰায়ত বহুৱায়; যেনে—(১) নিজে চলাব নোৱাৰা হেতুকে আনক দি নিজৰ আয় বঢ়োৱাৰ উদ্দেশ্যে, আৰু (২) কোনো এক অনুষ্ঠান চলাবলৈ উৎপন্নৰ ভাগ উলিয়াবৰ কাৰণে। প্রথম প্রকাৰত পট্টাদাৰ নিজে খেতিয়ক হবও পাৰে কিন্তু তেওঁৰ মাটি পৰিমিততকৈ বেছি থকা কাৰণে নিজে চলাব নোৱাৰি সেইবোৰত ৰায়ত বহুৱায় অথবা ৰায়তক সেইবোৰ খাবলৈ দিয়ে।

অনুষ্ঠানৰ কাৰণে, যাইকৈ ধর্মানুষ্ঠানৰ কাৰণে, আগৰ দিনত ৰজাই ভূমি দান কৰিছিল। এই ভূমিৰ পৰা পোৱা উৎপন্নৰে অনুষ্ঠানটো চলি আছিল। সেইদৰে পণ্ডিত বা গুণৱান ব্রাহ্মণকো ৰজাই ভূমি দান কৰিছিল, আৰু সেই ভূমিৰ উৎপন্নৰে দানগ্রাহীসকল বৰ্ত্তি আছিল।

সেইবোৰত বাহিৰেও ইংৰাজৰ আমোলত ভূমি দান-বিক্রী-হস্তান্তৰৰ সামগ্রী হৈ পৰাত ধনী ব্যক্তিসকলে যিমান পাৰে তাক কিনি লবলৈ ধৰিলে আৰু সেইদৰে ঢেৰ ভূ-সম্পত্তি কৰি লৈ তাত ৰায়ত বহুৱাই তাৰ উৎপন্নৰে তেওঁলোক চলিবলৈ ধৰিলে। অন্য কথাত ভূমি হৈ পৰিল বেপাৰৰ এটি উৎকৃষ্ট সম্বল, পণ্যদ্রব্য। এনেদৰে ভূমি ক্রয় আৰু সম্পত্তি বৃদ্ধিত কোনো প্ৰকাৰ সীমা বা বাধা নথকা কাৰণে ইচ্ছামতে সম্পত্তি কিনি লৈ ধনীবোৰ আৰু বেছি ধনী আৰু ভূমিহীনসকল আৰু বেছি দুখীয়া হৈ যাবলৈ ধৰিলে। ভূমি-বৃত্তি জীৱিকাৰ এটা অৱলম্বন হৈ পৰিল। মাৰি-মৰক হলে মহাজনৰ [illegible] খাদ্য-জোগানৰ আৰু [illegible] বা [illegible] আদালতত [illegible] হৈ উপায়হীন [illegible] তেওঁলোকৰ [illegible] জমিদাৰ [illegible]

পৈতৃক ভূমিখিনি কিনি লৈ তেওঁলোকক তলতীয়া ৰায়ত বনায়। আগৰ দিনত কানি খাবলৈ বা মদ খাবলৈ ধন ধাৰে দি তাৰ সুতত মাটিখিনি কিনি ৰাখি ভূস্বামী বা সাধাৰণ কথাত জমিদাৰ হোৱা লোক বহুত আছিল। আজিও ভিতৰুৱা গাঁৱত আৰু জনজাতীয় লোকৰ বসতিপূৰ্ণ ঠাইত এনে ধৰণৰ অত্যাচাৰ একেবাৰে উঠি যোৱা নাই। আজিও বেপাৰীসকলে গৈ এনে ঠাইত বহুত সুতত টকা ধাৰে দি আঠ-দহ বছৰৰ ভিতৰতে একো একোটা চুবুৰী কিনি লোৱাৰ প্ৰমাণ অনেক আছে। বজিয়াৰ তাৰোলভুক আৰু ডেকেলি অঞ্চলত এনে ধৰণৰ প্ৰথাও লৌ [illegible] আছিল যে কৃষিত কুৰিমোন ধান আৰু মূলখিনি ঘূৰাই দিয়া বন্দবস্তত টকা ধাৰে দিয়া হয়। অৰ্থাৎ বাৰিষা লাওপানী তৈয়াৰ কৰিবলৈ ধান নাথাকিলে বা মদ কিনিবলৈ পইচা নাথাকিলে মানুহে একুৰি টকা মহাজনৰপৰা ধাৰে আনে এই বন্দবস্তত যে ধান পকিলে এই টকাৰ সুতৰূপে কুৰি মোন ধান দিব আৰু মূল টকা ঘূৰাই দিব। টকা দিব নোৱাৰিলে সুত সেইমতে চলি থাকিব। মূলৰ টকাৰ সলনি ধৰুৱাৰ মাটি-জমিখিনি কিনি লৈ ধৰুৱা ৰায়তক ৰহতীয়া কৰি লোৱা মহাজনো বহুত আছে। এনে মদাহী লোকৰ দ্বাৰা জঙ্গলী মাটি ভাঙি লৈ তেনে লোককেই তলতীয়া ৰায়ত পাতি চৰকাৰী বা একচনীয়া মাটিতে চৰকাৰে নজনাকৈ জমিদাৰ হৈ থকা মহাজনো অনেক পোৱা যায়।

বুদ্ধিজীৱী ধনীসকলে বৃটিছৰ আমোলত আৰু তাৰ আগৰপৰাও এনে ধৰণৰ অনেক উপায় অৱলম্বন কৰি আহিছে। ধন ধাৰে দি সুতত ধৰুৱাৰ পট্টাৰ মাটি লিখাই লৈ ভূস্বামী হোৱা জমিদাৰ আন নালাগে গুৱাহাটীতে অনেক আছে। গুৱাহাটী চহৰৰ গাতে লাগি থকা বেলতলা মৌজাৰ অধিকাংশ মাটিয়েই অখেতিয়ক মালিকসকলৰ পট্টাৰ জমি। এই মালিকসকলৰ শতকৰা ৯৯ জনেই নিজৰ পট্টাৰ মাটিৰ চৌহদ নাজানে। এনেকুৱা অখেতিয়ক ভূস্বামীৰ হাতৰপৰা ভূমি আনি প্ৰকৃত খেতিয়ক ৰায়তক দিয়াই ভূমি সংস্কাৰৰ অন্যতম লক্ষ্য বুলি আগতে উল্লেখ কৰা হৈছে। সেই বুলি তলতীয়া ৰায়ত যে [illegible] এজন মহৎ [illegible] লোকৰ, [illegible], গধূৰ [illegible] [illegible] আৰু [illegible] পট্টাদাৰে অনেক মাটিখিনি দি তাৰ [illegible] [illegible] ৰাখিব লাগিছিল।

বুদ্ধিজীৱী ভূস্বামীসকলে ৰায়তসকলক দখল-স্বত্বৰপৰা বঞ্চিত কৰিবৰ কাৰণে আজিকালি নানা প্ৰকাৰৰ কূট-বুদ্ধি খটোৱা দেখা যায়। কেতিয়াবা তেওঁলোকে ৰায়তক ৰে'ন্ট লৈ ৰচিদ নিদিয়ে, কেতিয়াবা ভুলকৈ দিয়ে, কেতিয়াবা অসম্পূৰ্ণকৈ মাটিৰ বা চন তাৰিখৰ উল্লেখ নিদিয়াকৈ দিয়ে, কেতিয়াবা আকৌ ৰায়তৰ নাম সলাই অন্য নামত দিয়ে, ইত্যাদি। কোন চনৰ খাজনা, কোনখিনি মাটিৰ খাজনা, কাৰপৰা পোৱা হ'ল; ৰায়ত কোন, ৰায়তৰ স্বত্ব কি, কিমান খাজনা, খাজনাৰ নিৰিখ কি ইত্যাদি কথাৰ বিতং বিৱৰণ কাচিৎহে কোনো ৰচিদত দেখা যায়। অধিকাংশ জমিদাৰৰে ছপা ৰচিদ বহী নাই; তেওঁলোকে সাধাৰণ টুকুৰা কাগজত ছিল মোহৰ মৰাকৈ আৰু ৰে'ন্ট-গ্ৰহীতাৰ নাম মাতিৰ নোৱাৰাকৈ পেন্সিলেৰে লিখি দিয়ে। এই ৰচিদবোৰৰ ওপৰতে সম্পূৰ্ণ নিৰ্ভৰ কৰিবলৈ হলে পুৰুষানুক্ৰমে মাটি খোৱা তলতীয়া ৰায়তকো ৰায়ত বুলি স্বীকাৰ কৰা আইনতঃ কঠিন হৈ পৰে। তেনে পৰিস্থিতিত তলতীয়া ৰায়তৰ অৱস্থা কি হয় তাক সহজে অনুমান কৰা যায়।

ভাৰতৰ জন সংখ্যাৰ শতকৰা ৭০ জনেই কৃষি-জীৱী। ভাৰতীয় কৃষিৰ কিন্তু বিশেষত্ব এই যে ই কৃষিকাৰ্য্যৰ প্ৰণালী সম্পৰ্কে সদায় পুৰণি নীতি মানি চলে, বতৰৰ ওপৰত নিৰ্ভৰ কৰে আৰু উত্তৰাধিকাৰীসূত্ৰে খণ্ড বিখণ্ড হোৱা ভূমি-নীতি মতে কাম কৰে। ভাৰতৰ যি অনাবাদী জমি আছে তাৰ ভিতৰত খেতিৰ উপযোগী জমিৰ পৰিমাণ শতকৰা এঘাৰ। তলতীয়া ৰায়তসকলৰ অধিকাংশই পুৰুষানুক্ৰমে দখল কৰা জমিত খেতি কৰে। অকল অসমৰেই নহয় ভাৰতৰ সকলো ঠাইৰে ৰায়তেখোৱা জমিবোৰ এসময়ত হয়তো এই ৰায়তসকলৰেই আছিল— অভাৱৰ তাড়নাতহে এইবোৰ বিক্ৰী কৰি দিয়া হৈছিল। সেইদৰে অৱস্থাৰ হেঁচাচেপাত তেওঁলোক নিজৰ ঘৰতেই আলহী হৈছিল। কোনো কোনো ক্ষেত্ৰত আকৌ বজাই দান কৰি দিয়া ভূমিবো দখলকাৰসকল তলতীয়া ৰায়ত হৈ পৰিছিল।

পুৰণি কালত তলতীয়া ৰায়ত হোৱা একো লাজৰ বা ক্ষতিৰ কথা নাছিল। কাৰণ, ভূস্বামীয়ে চৰকাৰী ৰাজহতকৈ কিঞ্চিৎ মাত্ৰ অধিক খাজনা ৰায়তৰ পৰা লৈছিল। ৰায়তেও ভূস্বামীক অশেষ শ্ৰদ্ধা আৰু নানান প্ৰকাৰে সাহায্য কৰিছিল। তেওঁলোকেও ভূস্বামীৰপৰা নানান প্ৰকাৰে

সা-সুবিধা পাইছিল। যেনে, কিবা আকস্মিক দুৰ্য্যোগ উপস্থিত হলে বা অন্য কিবা কাৰণত অসমৰ্থ হৈ পৰিলে বছৰৰ পাছত বছৰলৈকে তেওঁলোকে খাজনা নিদিয়াকৈ আছিল। অৱশ্যে সেয়ে নহয়, কেতিয়াবা কেতিয়াবা ভূস্বামীৰপৰা আৰ্থিক সাহায্যও লভিছিল। এতিয়াও কোনো কোনো জমিদাৰৰ পুৰণি বহীত "কন্দাকটাৰ বাবে মাফ", "দুৰ্দশাৰ কাৰণে ৰেহাই", "দুৰ্য্যোগৰ কাৰণে আধা মাফ" এনে ধৰণৰ মন্তব্য লিখি থোৱা পোৱা যায়। মাটিৰ গিৰীৰ আগত নিজৰ দুখ দুৰ্গতি আৰু বিফলতাৰ কথা কৈ কন্দাকটা কৰিলেও কেতিয়াবা কেতিয়াবা ৰায়তে খাজনা মাফ পাইছিল।

এই খিনিতেই বঙিয়া অঞ্চলৰ এজন স্থানীয় জমিদাৰৰ কথা মনত পৰিল। জমিদাৰ মানে বহুত মাটি থকা আৰু ৰায়তক সেই মাটি খাবলৈ দিয়া মানুহ। ১৯৫২ চনত বঙিয়াৰ দক্ষিণ অঞ্চলত বৰ ডাঙৰ বানপানী হোৱাত কামৰূপৰ ডেপুটী কমিচনাৰ চাহাবে অভাৱগ্ৰস্ত অঞ্চলত সাহায্য-ঋণ দিবলৈ আৰু সম্ভৱস্থলত ধান আটক কৰি হাতে হাতে দাম লৈ বিপদাপন্ন নিৰন্ন সকলক বিতৰণ কৰিবলৈ আদেশ জাৰি কৰিছিল। পীড়িত অঞ্চল পৰিদৰ্শন কৰিবৰ কাৰণে পানী কিছু শাম কটাত ডেপুটী কমিচনাৰ চাহাবো নিজে গৈছিল। তাতে তেওঁ খবৰ কৰি গম পালে যে তাৰে স্থানীয় লোক এজনৰ প্ৰায় এহেজাৰ মোন ধান ভঁৰালত আছে। নতুন চিকাৰ পাই চিকাৰীৰ মন উজ্জ্বল হোৱাৰ দৰে খবৰটো পাই তেওঁৰ মন উজ্জ্বল হ'ল। তেওঁ পোনেই আমাক সকলোটিকে ওচৰলৈ মাতি নি সেই ধান ইমান দিনে কিয় আটক কৰা হোৱা নাই সুধিলে। ধান-চাউলৰ বিভাগীয় কৰ্মচাৰীজনে টপৰাই উত্তৰ দিলে "ৰাইজে নিদিয়ে ছাৰ।" কথা শুনি ডেপুটী কমিচনাৰ কাৰ্ভালহো চাহাবে গৰ্জি উঠিল—"কি নিৰৰ্থক কথা কৈছা? ৰাইজক ধান লাগে আৰু যেনেস্থলত তেওঁলোকে বাধা দিব কিয়?" উত্তৰত কৰ্মচাৰীজনে কলে—"ৰাইজকে সোধক ছাৰ; সিদিনা মোক এওঁলোকেই বাধা দিছিল।" ডি. চিয়ে সুধিলে আৰু উত্তৰ পালে "ডাঙৰীয়া, অন্য ক'ৰবাৰপৰা কাৰবাৰ ধান আনি দিব পাৰে যদি দিয়ক; ইয়াত থাকোঁতে ৰৱণী নাথাব। এওঁৰ ধান মূৰ্ত্তিৰ ওপৰতে আমি বৰ্ত্তি আছোঁহক। এওঁ আমাৰপৰা এই দুৰ্দিনত ধানৰ দাম নলয়। অহা বছ-

ৰত আমাৰ ধান হলে সেই পৰিমাণে তেওঁক ধান দিলেই হব। সুত নাই। দাম নাই। এনে সুবিধা চাহাবে জানো আমাক দিব ?"

চাহাব আচৰিত হ'ল। তেওঁ আৰু কিছু কথা হে জানিব পাৰিলে যে সঁচাকৈয়ে সেই ধানৰ ভঁৰাল বাজহুৱা ধানৰ ভঁৰালৰ দৰে। মানুহবোৰে কৃতজ্ঞতাবশতঃ জমিদাৰজনৰ প্ৰায় পঁচিশ পুৰাৰ পথাৰ এখনত লগ-হাল বাই খেতি কৰি দিয়ে। এনে মহাজন কিন্তু বিৰল। অন্য প্ৰকাৰে আকৌ তেওঁৰ লাভৰ পৰিমাণো কম নহয়।

আজিকালি সাধাৰণতে ৰায়তেও জমিদাৰক নামানে, জমিদাৰেও ৰায়তৰ হাড-ছাল কৰি নিব খোজে। ফলত দুয়ো দুয়োৰো বৈৰী। চৰকাৰে জমিদাৰৰ মাটিবোৰ নি ৰায়তক ভগাই দিলেই মাটিৰ সমস্যা নমৰে। খেতিৰ উন্নয়নৰ ব্যৱস্থা কৰিলেহে মৰিব।

অকল অসমতে নহয়, ভাৰতৰ সকলোবোৰ প্ৰদেশতে তলতীয়া ৰায়ত ভৰি আছে। পঞ্জাবৰ খেতিৰ মাটিৰ প্ৰায় আধাখিনি তলতীয়া ৰায়তৰ দখলত।* বঙ্গদেশত খেতিকৰা মাটিৰ প্ৰায় এক পঞ্চমাংশ আধি খেতিৰ মাটি। উত্তৰ প্ৰদেশতো তলতীয়া ৰায়তৰ সংখ্যাই প্ৰায় ২৭ লাখ। মাদ্ৰাজতো শতকৰা প্ৰায় ৩০ জন খেতিয়কেই পৰৰ মাটি খায়। বোম্বাই প্ৰদেশত খেতিয়ক পট্টাদাৰৰ গড়ে দহ একৰকৈ মাটি আছে, অথচ অখেতিয়ক পট্টাদাৰৰ আছে প্ৰায় ষোলএকৰকৈ। এনে হোৱা সত্ত্বেও অখেতিয়ক মাটি-গিৰীসকলে কয় যে তেওঁলোকৰ হাতত মাটি থকা কাৰণেহে খেতিয়কে আৱশ্যকমতে সেই মাটি লৈ অনাৱশ্যক হলে বা খাব নোৱাৰিলে এৰি দিব পাৰে। ই তেওঁলোকৰ মতে কৃষকক প্ৰয়োজন অনুযায়ী মাটি লবলৈ সুযোগহে দিছে। অৱশ্যে মাটি-গিৰী ভাল হলে দেশত তেনে ধৰণৰ সমন্ধ এটা গঢ়ি উঠাত যে ভাওৰ সহায় হয় তাক নকলেও চলে।

এনেবোৰ জমি অধিগ্ৰহণ কৰি প্ৰকৃত কৃষক-ৰায়তসকলক বাম লৈ ভগাই দিয়াৰ কথা এটা উঠিছে। অৱশ্যে এনে সুযোগতে যন্ত্ৰচালিত খেতি কৰিব পৰা হলে উৎপন্নৰ কালেদি অশেষ মঙ্গলৰ কাম হ'লহেঁতেন; কিন্তু তাকে কৰিলে নিবনুৱা সমস্যা কৰিব। বেচ্ছিয়ালৈকে খেতিয়কক অন্য কামত লগাব

* 'Land problems of India' by Dr. Radhakamal Mukherjee.

পৰা নাযায় তেতিয়ালৈকে সম্পূৰ্ণভাৱে যন্ত্ৰচালিত খেতিৰ কাম হাতত লব নোৱাৰি।

জাপানৰ দৰে দেশতো যন্ত্ৰ-চালিত খেতিতকৈ মানুহৰ দৈহিক পৰিশ্ৰম কৰি কৰা খেতিত বেছি নিৰ্ভৰ কৰা হয়। জাপানৰ জনসংখ্যাৰ শতকৰা ৪৬ জনেই কৃষি-জীৱী। তাৰেই আকৌ শতকৰা ৭০ জনেই ভূমিহীন তলতীয়া ৰায়ত। তাতো অনুপস্থিত বা অখেতিয়ক মালিক আৰু মধ্যস্থ ব্যক্তি (middleman) উঠাই দিবলৈ কাৰ্য্য হাতত লোৱা হৈছে। (১) এজন আমেৰিকাৰ চাহাবে জাপানৰ মানুহৰ পৰিশ্ৰম দেখি কৈছে "জাপানৰ শিল-বোৰতো মানুহৰ হাতৰ সাঁচ পৰি আছে। ধৰাবপৰা মানুহে কিমানখিনি আদায় কৰিব পাৰে তাৰ শিলবোৰেও তাৰে সাক্ষী দিয়ে। আগ্নেয়গিৰি আৰু আগ্নেয় পদাৰ্থবোৰত বাহিৰে মানুহে তাৰ বাকী সকলো জমিতে হাত দিছে। (২)

চীন দেশ আকৌ অসমৰ দৰে পাহাৰ পৰ্ব্বতেৰে ভৰা। তাত একে টুকুৰা মাটিতে জাপানত কৰাৰ দৰে বছৰি ২।৩টা ফচল কৰা হয়। তাত ভূমি-সংস্কাৰৰ কাম হাতত লৈ অখেতিয়ক জমিদাৰ শ্ৰেণীৰ জমি অধিগ্ৰহণ কৰি খেতিয়কক দিয়া হৈছে। কিন্তু জমিদাৰ শ্ৰেণী আৰু ধনী খেতিয়ক

---

(১) It is true that more then 46 percent of the total population or about 40 million people derives its living from the land. And of this 37 or 38 million that constitute the agricultural population, nearly 70 percent or 26 million cultivators are landless tenants. ** Both the middleman and the absentee rich landowner will be abolished—"Hungry People & Empty Land" —by S. Chandrasekhar.

(২) Japan is the country where the stones show human finger prints, where the pressure of men on earth has worn through the iron rock. There is nothing in Japan but the volcanoes and the volcanic wastes that men have not handled—Archibald Macleish.

এই দুয়োটা শ্ৰেণীৰ ভিতৰত পাৰ্থক্য ভালকৈয়ে ৰখা হৈছে। ভূমি সংস্কাৰত অখেতিয়ক জমিদাৰসকলৰহে জমি অধিগ্ৰহণ কৰা হৈছে, ধনী খেতিয়কসকলৰ জমি লোৱা হোৱা নাই। কাৰণ জমিদাৰসকলে নিজে খেতি নকৰে, পৰৰ মূৰত কঁঠাল ভাঙে; ধনী খেতিয়কে হলে নিজে খেতি কৰে। যদি কোনো জমিদাৰৰ খেতিৰ মাটি আৰু কলকাৰখানাৰ মাটি এই দুয়ো প্ৰকাৰৰ মাটি অপৰ্য্যাপ্ত আছে তেনেহলে তেওঁৰ খেতিৰ মাটিহে অধিগ্ৰহণ কৰা হৈছে। (৩)

(৩)

ভাৰতত ৰায়ত থাকে দুই শ্ৰেণীৰ, যেনে—তলতীয়া ৰায়ত আৰু তলতীয়াৰ তলতীয়া ৰায়ত। তলতীয়া ৰায়তৰো আকৌ অনেক শ্ৰেণী আছে, যেনে সুবিধাভোগী ৰায়ত, দখল স্বত্বৰ ৰায়ত আৰু স্বত্বহীন ৰায়ত। স্বত্বহীন ৰায়তকেই জমিদাৰৰ ইচ্ছাধীন ৰায়ত (Tenants at will) বোলা হয়। সুবিধাভোগী আৰু দখল স্বত্বৰ ৰায়তৰ তলতো কেতিয়াবা ৰায়ত থকা দেখা যায়। এনে ৰায়তক তলতীয়াৰ তলতীয়া ৰায়ত বোলা হয়।

তলতীয়া ৰায়ত আৰু তলতীয়াৰ তলতীয়া ৰায়তে বেলেগ বেলেগ ঠাইত বেলেগ বেলেগ হাৰে খাজনা বা ৰেণ্ট দিয়ে। উড়িষ্যাতেই ভাৰতৰ ভিতৰত আটাইতকৈ বেছি হাৰত তলতীয়া ৰায়তে খাজনা ভৰা দেখা যায়। উৰিষ্যাৰ গঞ্জম নামে ঠাইত একৰত ওঠৰ টকাকৈ অৰ্থাৎ বিঘাত ছয় টকাকৈ খাজনা তলতীয়া ৰায়তে জমিদাৰক দিয়ে। বোম্বাইত আকৌ ভাৰতৰ ভিতৰত আটাইতকৈ অধিক হাৰত তলতীয়াৰ তলতীয়া ৰায়তে খাজনা ভৰে; একৰত ২৬৷৷০ অৰ্থাৎ বিঘাত প্ৰায় ন টকা। শস্যৰ আধিবো হাৰ তাতেই আটাইতকৈ বেছি; উৎপন্নৰ অংশৰ ¾ৰ পৰা ⅘ অংশলৈ।

---

(৩) We have only confiscated the lands of the landlords and not of the rich peasants. The reason is this. The rich peasants participate in production quite like the industrialists in the town while the landlord does not participate in production. * * If a landlord is also an industrialist our policy is to confiscate his agricultural land only- China to-day.

উপৰুক্ত বৈষম্যবোৰ দূৰ কৰিবৰ কাৰণে প্ৰত্যেক প্ৰদেশতে প্ৰজাস্বত্ব আইন তৈয়াৰ হৈছে বা হব লাগিছে। অসমত গোৱালপাৰা ১৯২৬ চনত গোৱালপাৰা প্ৰজাস্বত্ব আইন তৈয়াৰ কৰা হৈছিল। তাৰ পিছত ১৯৩৫ চনত অসম (অস্থায়ী বন্দবস্তৰ জিলাবোৰৰ) প্ৰজাস্বত্ব আইন 'পাছ' হয়। তাৰ পিছৰপৰা এই আইনবোৰ আবশ্যকমতে সংশোধিত আৰু পৰিবৰ্দ্ধিত হব লাগিছে।

অসমত সুবিধাভোগী ৰায়ত হবলৈ হলে কমপক্ষে বাৰ বছৰ একেবাহে জমিৰ দখলত থাকিব লাগিব আৰু দখলী মাটিৰ সাধাৰণতে যি খাজনা হব তাতকৈ ৰায়তে কেতিয়াও বেছি খাজনা দিব নালাগিব। উদাহৰণ স্বৰূপে যদি দখলী মাটিৰ চৰকাৰী খাজনা (শ্ৰেণী অনুযায়ী) বিঘাত ডেৰ টকা হয় তেনেহলে সুবিধাভোগী ৰায়তেও ডেৰ টকাতকৈ এপইচাও বেছি দিব নালাগিব। অৱশ্যে তেনে খাজনাৰ আধা দি বাকী খাজনাৰ কাৰণে খাটি দিলেও হয়। নতুবা মন্দিৰৰ জমি হলে বন্দবস্তমতে নিৰ্দিষ্ট নিৰিখত 'ভোগ' দিলেও হয়।

দখলী-স্বত্বৰ ৰায়তেও জমি একেবাহে কমপক্ষে বাৰ বছৰ দখল কৰিব লাগিব আৰু নিৰ্দিষ্ট হাৰে খাজনা বা ৰে'ণ্ট জমিদাৰক দি থাকিব লাগিব। কিন্তু সেই খাজনাৰ হাৰ চৰকাৰী খাজনাৰ তিনি গুণৰ বেছি নহয়। শতেৰে নিৰ্দিষ্ট খাজনা দিব খুজিলেও এক চতুৰ্থাংশৰ বেছি জমিদাৰে নাপাব। (আগতে ৫ গুণ খাজনা আৰু আধা শতৰ বেছি খাজনা লব নোৱাৰিছিল)। আজিকালি সুবিধাভোগী আৰু দখলী স্বত্বৰ ৰায়তে উত্তৰাধিকাৰীত্ব আৰু হস্তান্তৰৰ ক্ষমতা পাইছে। অৱশ্যে হস্তান্তৰৰ ক্ষেত্ৰত দেৱালয়ৰ জমি হলে দেৱালয়ৰ ধৰ্ম্মৰ মানুহকহে দান-বিক্ৰী-হস্তান্তৰ কৰিব পাৰিব আৰু তাৰ আগতে দলৈক বা পট্টাদাৰক দস্তুৰমতে জাননী দিব লাগিব। আগতে জমিদাৰ বা ভূস্বামীৰ বিনা অনুমতিত মাটি হস্তান্তৰ কৰিব নোৱাৰিছিল; আৰু দখল আনক দিব নোৱাৰিছিল, এতিয়া পাৰে; কিন্তু তাৰ আগতে পট্টাদাৰক জাননী (নোটিচ) দিব লাগে আৰু ধৰ্ম্মানুষ্ঠানৰ মাটি হলে সেই ধৰ্ম্মৰ লোককহে দান-বিক্ৰী-হস্তান্তৰ কৰি দিব পাৰে। মাটিৰ মালিক বা জমিদাৰে ইচ্ছা কৰিলেও দখলী স্বত্বৰ খাজনা ১০ বছৰৰ ভিতৰত টকাত তিনি অনাতকৈ বঢ়াব নোৱাৰে। তেনেকৈ তলতীয়া ৰায়তে ভূস্বামীক ৰায়তে দিয়া

খাজনাৰ শতকৰা পঞ্চাশতকৈ বেছি লব নোৱাৰে। পোনতে ইয়াৰ শ না খাৰ্য্য নাছিল। আগতে দখলী স্বত্বৰ ৰায়ত আৰু অস্থায়ী ৰায়তে বন্দ-বস্তিৰ সময় উকলি যোৱাৰ ছমাহৰ আগতে সেই জমিত থাকিবলৈ ইচ্ছা প্ৰকাশ কৰি নোটিছ দিহে উচ্ছেদৰ হাত সাৰিব পাৰিছিল, তাকো যিসকল ৰায়ত অন্ততঃ দহ বছৰ একেৰাহে দখলত আছিল তেওঁলোকহে তেনে নোটিচ দিব পাৰিছিল; এতিয়া ৰায়ত বা তলতীয়া ৰায়তে পাঁচ বছৰ একেৰাহে দখলত থাকিলেই এই স্বত্ব পায়।

(৪)

দখলকাৰসকলক মাটি দিওতে আগৰ দিনত ৬টি-শস্যৰ লগত সম্বন্ধ ৰাখি মাটিৰ মাপ কৰা হৈছিল। অৰ্থাৎ যিমানখিনি জোখৰ গুটি শস্যেৰে যিখিনি মাটি আঁটিব মাটিৰ জোখৰো নাম তাকেই দিয়া হৈছিল। এইদৰেই শস্যৰ দোণ, কঠা আদি মাটি জোখৰো দোণ, কঠা আদিত ব্যৱহাৰ কৰা হৈছিল। কোনো কোনো সময়ত হালৰ লগতো সম্বন্ধ ৰখা হৈছিল, যেনে এখন হালেৰে নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত যিমান মাটি চহাব পাৰি তাক বোলা হৈছিল— এহালিচা মাটি।

প্ৰজা-স্বত্ব আইনত ৰায়তৰ স্বত্বৰ পৰিমাণ ঠিক কৰিবলৈ হিচাব-কিতাপ (Record of rights) তৈয়াৰ কৰিবলৈ দিয়া আছে, আৰু ৰায়তক দখলৰ মাটিৰ বিক্ৰী-হস্তান্তৰ আদিৰো সীমাবদ্ধ ক্ষমতা দিয়া হৈছে। আগতে উত্তৰাধিকাৰীসূত্ৰত বাহিৰে অন্য সকলোপ্ৰকাৰ হস্তান্তৰ জমিদাৰৰ অনুমতি-ক্ৰমেহে হৈছিল। ইয়াৰেই ছেগ লৈ জমিদাৰে অনুমতিৰ বাবে ইচ্ছামতে চালামি লৈছিল। আজিও অনেক জমিদাৰে ৰায়তৰ পৰা ৰে'ণ্ট বা খাজনা আদায় কৰি ভুল ৰচিদ দিয়াৰ ব্যৱস্থাও কৰে। জমিদাৰে দিয়া প্ৰায় ৰচিদতে ছপা ঘৰবোৰ ঠিক থাকিলেও লিখা থাকে "আগৰ খাজনা বাবদ শ্ৰীঅমুকাৰপৰা ইমান টকা পালোঁ।" অথবা "গ'ল বছৰৰ খাজনা বাবদ শ্ৰীঅমুকাৰপৰা ইমান টকা পালোঁ" ইত্যাদি। তাত মাটিৰ পৰিমাণ বিবৰণ আদি নাথাকে। ফলত মোকৰ্দ্দমাত বা কিবা আপত্তিৰ বিচাৰত এই কাকতবোৰ অগ্ৰাহ্য হয়।

দেৱালয়ৰ নিস্পিখেৰাজ বা লাখেৰাজ মাটিবো পট্টন নিদিয়া খিনিত নানা ৰকমৰ আমোদজনক ঘটনা ঘটে। মাটি যিখিনি তেনেকৈ কাকত-

পত্ৰত গৰাবাদ বা পট্টন নিদিয়াকৈ থাকে সেইখিনি বাৰে বাৰে ৰায়তক দি থাকিলেও নুঠুকায়। কাৰণ দলৈয়ে ৰেজিষ্টাৰি কৰি কাকো পট্টন নিদিয়ে। পীৰপালৰ মাটিতো সেই একে কথা। তেনেবোৰ মাটিৰ দলৈ বা খাদেমে কয় যে ৰেজিষ্টাৰিৰ কাৰণে আদালতলৈ যোৱাটো তেওঁলোকৰ পক্ষে অপমানৰ কথা; ৰায়তে বিশ্বাস কৰিবলৈ টান পালে পট্টন লব নালাগে। তেনে স্থলত উপায় নাপাই দলৈৰ শ্ৰীমুখৰ বাণীকে বা শ্ৰীহস্তৰ অক্ষৰকে বেদৰ বাণীৰূপে বুকুত বান্ধি লৈ ৰায়ত তুষ্ট থাকিব লগীয়া হয়। তেনে কাকতৰ কিছুমানত লিখা থাকে "অমুক দেৱালয়ৰ বা পীৰপালৰ নিঃ খেঃ চৰকাৰী মাটিৰ বৰ্ত্তমান গৰাবাদ থকা পোন্ধৰ বিঘা মাটি শ্ৰীঅমুকাক পট্টন দিলোঁ। তেওঁ খাজানা দি মোৰ ইচ্ছাধীন প্ৰজা হৈ মাটি দখল কৰি থাকিব পাৰিব। গতিকে এনে ধৰণৰ পট্টন অনেক বাৰ দিলেও মাটি নুঠুকায়। ফলত কেতিয়াবা হয় ৰায়তৰ মাজত কুৰুক্ষেত্ৰ যুদ্ধৰ ক্ষুদ্ৰ তাণ্ডৱ। অনেক সময়ত দলৈয়ে খাজনাৰো ৰচিদ নিদিয়ে। খুজিলে গেজেৰা মাৰি কয়—"হেৰ' তই মোক বিশ্বাস নকৰ নেকি? ইমানবোৰ ৰায়তৰ কোনেও আজিলৈ টু-টাকে নকৰে, ই আকৌ মোৰপৰা ৰচিদ পালেহে বিশ্বাস কৰে। নালাগে তই মোৰ মাটি খাব।" ইত্যাদি।

নতুন শুধৰণী আইনত প্ৰজাক সুবিধা দিবৰ কাৰণে নানা প্ৰকাৰৰ নতুন নতুন কৌশল উদ্ভাৱন কৰা হৈছে। আজিকালি জমিদাৰেও ৰায়তৰ ৰে'ণ্ট ৰচিদৰ 'কাউণ্টাৰ-ফইল' বা নকল এটা ৰাখিব লাগে। জমিদাৰ আৰু ৰে'ণ্টভৰা দখলকাৰ দুয়ো এই বিষয়ত সমানে দায়ী। কিন্তু নানা কাৰণত দখলকাৰ ৰায়তবোৰে তেওঁলোকৰ দখলৰ ভূমি আজিও মণ্ডলক পথাৰত দেখুৱাই নিদিয়ে। তাৰ এটা কাৰণ জমিদাৰৰ বিৰক্তি-ভাজন হোৱাৰ ভয়। দ্বিতীয় ভয় জানোচা এনে কৰা বাবে জমিদাৰে মাটি কাঢ়ি নি আনক দিয়ে। কাৰ্য্যস্থলত বহুত জমিদাৰে তেনে কৰাও দেখা গৈছে। আজিও ৰে'ণ্ট বা খাজনাৰ ৰচিদ অতি কম সংখ্যক ৰায়তৰহে আছে।

আগৰ দিনত চাহ বাগিছাৰ মালিকসকলেও স্থানীয় লোকক বহুত্ৰা হিচাপে খটাবৰ কাৰণে নানা উপায় অৱলম্বন কৰিছিল। কানীয়াবোৰক কানি খুৱাই কামত লগাইছিল। অন্যবোৰক ধন ধাৰে দিয়াৰ ব্যৱস্থা কৰি

সেই ধাৰত মাৰি তেওঁলোকক বাইছিল। কেতিয়াবা কেতিয়াবা সেই ধাৰৰ সুত আৰু মূলত মাৰি ধকৰাৰ পট্টাৰ মাটিখিনি বাগানৰ নামত লিখাই লোৱাৰ ব্যৱস্থা কৰা হৈছিল। গুৱাহাটীৰপৰা মাত্ৰ কুৰি মাইল দূৰত থকা সোণাপুৰ বাগিচাই এইদৰে অশিক্ষিত জনজাতীয় লোকসকলৰপৰা অপৰ্য্যাপ্ত মাটি কিনি লৈ আগৰ পট্টাদাৰসকলকেই তলতীয়া ৰায়ত বনাই মাছৰ তেলেদি মাছ ভাজিছিল। তেনেকৈ বাগানৰ মাটি খোৱা ৰায়ত-সকলে সপ্তাহ বা মাহদিনৰ ভিতৰত নিৰ্দ্দিষ্ট সংখ্যক দিন বাগানত খাটি দিব লাগিছিল; কেবল বাগানৰ মালিকেহে যে এনে ধৰণৰ বন্দুৱাৰ ব্যৱস্থা কৰিছিল এনে নহয়, ধনী সম্প্ৰদায়ৰ অন্যান্য অনেক লোকেও তাকে কৰি-ছিল। আনকি ১৯২৭ চনৰ জ'ৰীপৰ সময়তো এই প্ৰথা প্ৰবলভাৱে চলি আছিল। সেই সময়ৰ কামৰূপৰ ছেটেলমেণ্ট অফিচাৰ শ্ৰীএছ, পি, দেশাই ডাঙৰীয়াই এইকথা তেওঁৰ দক্ষিণ-পাৰ বিভাগৰ খাজনা নিৰ্ণয়ৰ কাৰণে দিয়া ৰিপোৰ্টত স্পষ্টকৈ উল্লেখ কৰি গৈছে। তেওঁৰ মতে (গুৱাহাটী চহৰৰ পূবফালে গাতে লাগি থকা) "নুনমাটি গাঁৱত জমিদাৰসকলে পুৰাত আঠ টকাকৈ খাজনা লয় আৰু তলতীয়া ৰায়তসকলে এই খাজনাৰ উপৰিও বছৰত আঠ দিনকৈ প্ৰত্যেকে জমিদাৰৰ ঘৰত খাটি দিব লাগে। আমচেং গাঁৱতো খাজনাৰ টকাৰ সলনি তলতীয়া ৰায়তৰপৰা টকাত ৬ দোণ (প্ৰত্যেক দোণত ৩।।০ সেৰ ওজনৰ) ধান লোৱাৰ উপৰিও ৰায়তে কোনো কোনো ক্ষেত্ৰত জমিদাৰৰ ঘৰত নিৰ্দিষ্ট সংখ্যক দিন খাটি দিব লাগে। টেপেচিয়া বাগিচাত আকৌ মেনেজাৰে মাটি-খোৱা ৰায়তৰপৰা পুৰাত সাত টকাকৈ খাজনা লোৱাৰ উপৰিও ৰায়তক কুৰিদিনকৈ দৰমহাৰ বদলত বাগিচাত কাম কৰিবলৈ কয়।"* এনেবোৰ বেমেজালি ক্ৰমে উঠি যাব লাগিছে, কিন্তু যিমান সোনকালে এনেবোৰ অসুবিধা উঠি যায় সিমানে দেশৰ কাৰণে মঙ্গলজনক।

---

* At Nunmati the landlords realise Rs. 8/- per Pura and require service for eight days from the tenants. In Amchang Village, each rent is realised in kind at six Dons (3½ seers each) per rupee and service in addition is required in some cases. In Tepesia, the manager of a tea garden realises Rs. 7/- in cash per Pura and expects the tenant to work on wages in his garden for 20 days.—S.P. Desai (Report on the Re-assessment of the South Bank Group of the District of Kamrup, 1927).

মাটিৰ বাটোৱাৰা আৰু খণ্ড-বিখণ্ড কৰা নীতি

পৈতৃক সম্পত্তিৰ প্ৰতি মোহ মানুহৰ জন্মগত প্ৰবৃত্তি। অৱশ্যে জন্মগত বোলাতকৈ ইয়াক কৰ্মগত বোলাহে উচিত; কিয়নো মানুহৰ চিৰাচৰিত মনোভাব আৰু ৰীতিয়েহে ইয়াক এটা অৱশ্যম্ভাৱী কাৰ্য্যত পৰিণত কৰিছে। হিন্দু আৰু মুছলমান এই দুয়ো সম্প্ৰদায়ৰ ধৰ্মমতে উত্তৰাধিকাৰিত্বৰ স্বত্বই পৈতৃক সম্পত্তিৰ প্ৰতি উভয় সম্প্ৰদায়ৰে মোহ বঢ়াইছে। ড° ৰাধাকমল মুখাৰ্জীৰ মতে উত্তৰাধিকাৰিত্বৰ সূত্ৰে খণ্ডীকৰণ নীতি ইংৰাজ বিচাৰক-সকলৰ হাতত পৰি আৰু বেছি কাৰ্য্যকৰী হৈছে। (১) আগৰ দিনত খেতিৰ মাটি পৰিয়ালটোৰ অবিভাজ্য উমৈহতীয়া সম্পত্তি আছিল। পৰিয়ালৰ সুস্থ-সবল ডেকাসকলে সদায় দূৰত পাম ধৰি খেতি-বাতি কৰি জীৱিকা উলিয়াইছিল। ঘৰত মূৰ-বাপেকৰ অন-পৈচান ধৰিবৰ কাৰণে সৰ্ব্ব-সম্মতিক্ৰমে একোজন পুতেক ঘৰ ৰখীয়া হৈ আছিল। পিতৃ-বিয়োগৰ পিছত ভূ-সম্পত্তিৰ কাৰণে কোনো দিন দন্দ-খৰিয়াল নহৈছিল। তাৰ

---

(১) Formerly the cultivation unit was the joint family land and partition was uncommon: now the economic solidarity of the joint family has been affected by the importation of individualistic notions of property. Indeed the tendency towards sub-division which has been manifest in India during the last few decades only, has been the outcome of the interpretation of Hindu and Muhammadan law by English judges, with their strong predilection for individual succession to and private enjoyment of rights in land.

—Land Problems of India—Dr. R. K. Mukherjee.

মূল কাৰণ ভূসম্পত্তিৰ কোনো আৰ্থিক মূল্য নাছিল। ই কেৱল ভোগ-দখলবহে সামগ্ৰী আছিল। ইংৰাজ ৰাজত্বৰ লগে লগে, ভূ-সম্পত্তি কিনা-বেচা কৰিব পৰা হোৱাত ইয়াৰ প্ৰতি মানুহৰ আগ্ৰহ বাঢ়িল। লগে লগে ইয়াৰ বাবে মানুহৰ মাজত হাই-কাজিয়াও চৰি আহিল।

পণ্ডিত নেহৰুৰ মতে ইংৰাজসকলে ভাৰতৰ শিল্পজীৱী আৰু কলাবিদ-সকলৰ ৰোজগাৰ কলে-কৌশলে বন্ধ কৰি দিয়াত তেওঁলোকে খেতিত লাগিবলৈ বাধ্য হ'ল। ফলত অন্য দেশৰ লোকে যেতিয়া কলকাৰখানা উলিয়াই তাৰ সহায়ত আগ বাঢ়ি যাবলৈ ধৰিলে—গাঁও এৰি চহৰলৈ দৌৰ মাৰিলে, তেতিয়া ভাৰতীয় লোকে বিপৰীত মুখেহে গতি কৰিলে; অৰ্থাৎ শিল্প-বাণিজ্য এৰি খেতিত ধৰিলে, নগৰ-চহৰ ত্যাগ কৰি মাটিত কচলা কৰাত লাগিল। (২) সেইবাবেই মাটিৰ সমস্যা ক্ৰমে ক্ৰমে বাঢ়ি আহিল। পৈতৃক সম্পত্তিৰ বিভাগ কৰণ বা বাটোৱাৰাত মানুহে জোৰ দিবলৈ ধৰিলে। ফলত জমি টুকুৰা-টুকুৰ হৈ পৰিল আৰু সেয়ে অধিক শস্য উৎপাদনত বাধা জন্মাবলৈ ধৰিলে। অন্য দেশে যেতিয়া জমিৰ বিভাগ-কৰণত বাধা দিবলৈ আইন প্ৰণয়ন কৰিলে, ভাৰতে তেতিয়া পুৰণি শাস্ত্ৰ-সম্মতৰ পৰা যুক্তি বিচাৰি লৈ বিভাগ কৰাতহে লাগি প'ল। জমিৰ বিভাগ কৰণত বাধা দিবলৈ অন্য দেশে তেতিয়া কি কৰিছিল আৰু এতিয়াও কি কৰিছে—মন কৰিবলগীয়া।

---

(২) The liquidation of the artisan class led to unemployment on a prodigious scale * * All these hordes of artisans and craftsmen had no job no work and all their ancient skill was useless. They drifted to the land, for the land was still there. But land was fully occupied and could not possibly absorb them profitably. * * India became progressively ruralised. In every progressive country there has been, during the past century, a shift of population from agriculture to industry, from village to town; in India this process was reversed, as a result of British policy.

—Discovery of India—Nehru.

জাৰ্মানিত পৰিয়ালৰ এজন লোকেহে উত্তৰাধিকাৰী সূত্ৰে ভূ-সম্পত্তি গ্ৰহণ কৰে। তেওঁ আন আন উত্তৰাধিকাৰীসকলক শস্যৰ মূল্য হিচাপ কৰি কিছু ধন দিয়ে; ভূ-সম্পত্তি খণ্ড বিখণ্ড হবলৈ নিদিয়ে।

প্ৰাচিয়াত মৃত্যুমুখী পট্টাদাৰে আগতেই উইল কৰি ভূ-সম্পত্তি কাৰ হব তাক জনাই দিয়ে আৰু স্থানীয় বিচাৰালয়ৰ অধিবক্ত নিৰ্দিষ্ট শস্যৰ ভিতৰত ৰেজিষ্টাৰ কৰি তাক চাবিওফালে বান্ধি কৰি দিয়ে।

ডেনমাৰ্কত মাটিৰ মালিকে তেওঁৰ নো কোনটো পুত্ৰেক ভূমি সম্পত্তি পাব তাক উইল কৰি জনায় আৰু লগেলগে তেওঁ বাকী পুত্ৰসকলে পাবলগীয়া সম্পত্তিৰ মূল্য নিৰ্দ্ধাৰণ কৰি দিয়ে। যদি তাকে নকৰাকৈ মালিক মৰে তেন্তে চৰকাৰেই সেই কাম কৰে।

অষ্ট্ৰিয়াতো পৰিয়ালৰ ভূমি-সম্পত্তি এজনমাত্ৰ পুতেকেহে পায়; বাকী সকল উত্তৰাধিকাৰীয়ে তাৰ পৰিবৰ্ত্তে ধন বা বন্ধকিৰ স্বত্ব পায়। বিক্ৰী কৰিব লাগিলেও বিভাগ নকৰাকৈ বিক্ৰী কৰিব লাগে। ডেনমাৰ্কত আকৌ আইনমতে কোনো জমিয়ে ২½ একৰ বা প্ৰায় সাত বিঘাৰ কমত ভাগ হব নোৱাৰে বুলি বান্ধি দিয়া আছে। গতিকে সেই পৰিমাণতকৈ কম কৰি মাটি বেচা নিষেধ।

ভাৰতত এনেবোৰ আইনৰপৰা আৱশ্যকীয় সাৰ সংগ্ৰহ কৰি নতুন আইন প্ৰণয়নৰ প্ৰয়োজন হৈ পৰিছে। ডঃ ৰাধাকমল মুখাৰ্জ্জীৰ মতে জাৰ্মান নীতিকে মানি ভাৰততো নিৰ্ব্বাচিত উত্তৰাধিকাৰীক অবিভক্ত ভূ-সম্পত্তি দি বাকী উত্তৰাধিকাৰীসকলক এটি নীতি অনুসৰি নিৰ্দ্দিষ্ট পৰিমাণে ক্ষতিপূৰণ দিয়া উচিত। (১) এই নীতি স্থিৰ কৰোঁতে মাটিৰ দামৰ ওপৰত হিচাপ নকৰি শস্যোৎপন্নৰ লভ্যাংশৰ ওপৰত হিচাপ কৰা উচিত।

(১) Thus the German Practice of the creation of a preferred heir and the compensation of the other members of the joint family according to the margin of agricultural profits and not the price at which the land can be sold, seems more suitable to Indian conditions.—Land Problems in India.

—Dr. R. K. Mukherjee.

মাটিৰ দাম শস্যৰ লভ্যাংশ আদি স্থিৰ কৰা কৰ্ত্তব্য নিৰ্দ্দিষ্ট আয়োগ বা কৰ্ম্মচাৰীৰ ওপৰত দিয়া ভাল। বৰ্ত্তমানে চলি থকা ভূমি বিভাগৰ নিম্নতম কৰ্ম্মচাৰীৰ সহায়ত এই সম্পৰ্কে খা-খবৰ সংগ্ৰহ কৰা নীতি সমীচীন নহয়; কাৰণ ভূমি-বিভাগৰ কৰ্ম্মচাৰীসকল, বিশেষকৈ তাৰ নিম্ন স্তৰৰ বিষয়াসকল আজিকালি তেওঁলোকৰ কৰ্ত্তব্যৰ লগত সংশ্লিষ্ট থকা এনেজাৰ-এটা খবৰ গোটোৱাত ব্যস্ত। তেনেস্থলত মাটিৰ মূল্য নিৰ্দ্ধাৰণৰ দৰে গুৰুতৰ কাৰ্য্যৰ ভাৰ তেওঁলোকৰ ওপৰত নিদিয়াটো সৰ্ব্বতোপ্ৰকাৰে মঙ্গলকৰ। "কংগ্ৰেছ এগ্ৰেৰিয়ান ৰিফৰ্মচ্‌ কমিটি"য়েও এই কথা যুক্তিৰে দাঙি ধৰিছে। (২)

বাটোৱাৰাত মাটিৰ পৰিমাণ একোভাগত কিমানৰ কম হব নোৱাৰে তাৰ এটি স্পষ্ট নিবাকৰণ থাকিব লাগে। সম্পূৰ্ণ বাটোৱাৰাত (Perfect Partition ত) বাটোৱাৰা হৈ তৈয়াৰ হোৱা নতুন পট্টাৰ পাঁচ টকাৰ কম খাজনা হব নোৱাৰা নীতি অসমৰ ভূমি-আইনত এই উদ্দেশ্যেই বান্ধি দিয়া হৈছিল, কিন্তু ই নিটিকিল, অৰ্থাৎ অন্য কালেদি পট্টাদাৰসকলৰ সন্মতিত পথাৰত বাটোৱাৰা কৰিব পৰা নীতিয়ে উপৰুক্ত পাঁচটকীয়া খাজনাৰ নীতি ব্যৰ্থ কৰিলে।

এতিয়া কোনো লোকে যদি অন্য কাৰবাৰ লগত নিজৰ নিজৰ মাটিৰ লগনিত থকা মাটি সলনি কৰি একে থাউকতে বেছি মাটিৰ 'থাগ' কৰিব খোজে তেন্তে তেনে লোকক চৰকাৰে সহায় কৰা উচিত। বিনা 'ৰেজিষ্ট্ৰেচন ফি'ত তেনে কাৰ্য্য সম্পাদনৰ কাৰণে সুযোগ দিয়া, ভূমি-বিভাগৰ কৰ্ম্মচাৰীৰ দ্বাৰা জোখ-মাপ কৰি দিয়া এনেবোৰ কাৰ্য্যৰ জৰীয়তে এনে সহায় কৰা যায়।

(2) The third point is about the machinery for the collection of statistics Here we are frankly of the opinion that this is not appropriate to the Revenue Department and must be entrusted to a special branch—Bureau of Economics of the Department of Agriculture or of the Land Commission. The Revenue Staff has enough work of its own. The collection of statistics requires special training.

—C. A. C. Report. (P. 183).

বিভিন্ন ঠাইত সিঁচৰতি হৈ থকা কেইবা ডবা মাটিৰ বদলি সেই ঠাইৰ কম-বেছি পৰিমাণ মাটি একে থাউকতে লোৱাৰ পৰা অনেক সুবিধা পোৱা যায়। তেনে ঠাইত নিজৰ সুবিধা অনুযায়ী আলি-পদূলি কৰা যায়, খেতি-বাতিৰ পৰিকল্পনা কৰা যায় আৰু সেই সকলোবোৰৰ তত্ত্বাৱধান লোৱাত গিৰিহঁতৰ বহুত সুবিধা হয়।

ভূমি বিভাগৰ কৰ্মচাৰীয়ে এনেবোৰ অদল-বদল আৰু পৰিকল্পনাত সহায় কৰিব লাগিবই। বস্তুতঃ ছেটেলমেণ্টৰ সময়ত এনেবোৰ পৰিকল্পনা কাৰ্য্যকৰী কৰা সহজ হৈ পৰে।

বোম্বাইত ইতিমধ্যে মাটিৰ বাটোৱাৰা বা বিভাগ-কৰণত কিমানৰ কম পৰিমাণৰ ভাগ হব নোৱাৰে তাক আইনৰ দ্বাৰা নিৰ্দ্দিষ্ট কৰি দিয়া হৈছে। এনে পৰিমাণ বিভিন্ন ঠাইত বিভিন্ন হবই আৰু আনকি একে ঠাইতেও মাটিৰ 'কচম' বা শ্ৰেণী অনুসৰি পৃথক হব। গুজৰাটত মাটিৰ কচমৰ ওপৰত নিৰ্ভৰ কৰি তেনে সীমা ঠিক কৰা হৈছে নিম্নতম এক বা আধা একৰত। অসমতো খাজনা তোলাৰ সুবিধালৈ লক্ষ্য কৰিয়ে হওক বা মাটিৰ ক্ষুদ্ৰতম অংশীকৰণ বন্ধ কৰিবলৈয়ে হওক—ভূমি আইনত তেনে সীমা একপ্ৰকাৰে নিৰ্দ্ধাৰিত হৈছিল বুলি আগতে উল্লেখ কৰা হৈছে।

অকল আইনৰ দ্বাৰা দেশ-সংগঠন সম্ভৱপৰ নহয়। আইনে সমাজৰ শৃঙ্খলা ৰক্ষা আৰু উন্নয়নত সহায়হে কৰিব পাৰে। মানুহৰ মনৰ পৰিবৰ্ত্তন নহলে কাৰ্য্যৰ পৰিবৰ্ত্তন নহয়। গতিকে ভাই ভাইৰ ভিতৰত পৃথক হবৰ সময়ত নিজৰ আৰু দহৰ হিতৰ কাৰণে সকলোৱে যাতে অলপ ক্ষতিগ্ৰস্ত হৈ হলেও একে ঠাইতে মাটি লবলৈ যত্নপৰ হয় তাৰ কাৰণে অনুকূল মনোভাৱ সৃষ্টি কৰা সকলোৰে কৰ্ত্তব্য আৰু তদনুৰূপ আইন প্ৰণয়ন হোৱাও সকলোৰে কাৰণে হিতকৰ কথা।

এইবোৰ কথালৈ লক্ষ্য কৰিয়ে ভাৰতৰ "প্লেনিং কমিচনে" ১৯৫৩ চনত নিৰ্দ্দেশ দিছিল যে "কমিউনিটি প্ৰজেক্ট" আৰু 'নেচেনেল এক্সটেন্‌চন প্ৰজেক্ট' বোৰৰ কৃষি উন্নয়নৰ আঁচনিত "কনচলিডেচন অব হল্ডিং" বা খেতিৰ মাটি লগ কৰা ব্যৱস্থা গাঁওবোৰত লোনতে হাতত লোৱা উচিত। বস্তুতঃ চৰকাৰৰ পক্ষৰপৰা ইতিমধ্যে মাটি যাতে বাটোৱাৰাৰ দ্বাৰা খণ্ড-বিখণ্ড হৈ খেতিৰ অনুপযোগী হব নোৱাৰে তাৰ বাবে গোল্ডবখন প্ৰদেশত আইন তৈয়াৰ

হৈছে। উত্তৰ প্ৰদেশৰ চৰকাৰে স্থিৰ কৰিছে যে ৬।। একৰ বা প্ৰায় কৃষি বিষয়াৰ কম জমিৰ বিভাগ বন্ধ হব। হায়দৰাবাদত সেই নিষেধ তুইৰপৰা চৰিশ একৰৰ ভিতৰত আছে; দিল্লীত আঠ একৰ; মধ্যভাৰত আৰু ভূপালত পোন্ধৰ একৰ; বিন্ধ্য প্ৰদেশত আকৌ ডোংতলী মাটিৰ কাৰণে পাঁচ একৰ আৰু অন্য শুকান মাটিৰ কাৰণে দহ একৰত সীমা বান্ধি দিয়া হৈছে। অসমতো শীঘ্ৰে এই বিষয়ৰ আইন প্ৰণয়ন হব বুলি আশা কৰা যায়। এনে ধৰণৰ প্ৰতিবন্ধক নথকা হেতুকে ইতিমধ্যে নলবাৰী, বামপুৰ আদি কিছুমান গাঁৱতো বস্তি আৰু খেতিৰ মাটিবোৰ নিচেই নগণ্য অলেখ খণ্ডত বিভক্ত হৈছে। তাৰ ফলত উৎপন্নবো যে হ্ৰাস ঘটিছে তাক নকলেও চলে। আইনৰ সহায়তহে মাত্ৰ তেনে কাৰ্য্য বন্ধ কৰা সম্ভৱপৰ হব।

—

সমবায় খেতি

দায়িত্বৰ নাওথন সকলোৱে ভাগেভাগে সমানে বাই নিয়ে বুজিয়েই হওক বা সমনীয়া ভাইৰ দৰে সকলোৱে মিলিজুলি কাম কৰা বাবেই হওক— সমুহীয়া দায়িত্বৰ প্ৰচেষ্টাক সমবায় বোলা হয়। নামত নাথাকিলেও সমবায় আগৰ দিনত এটা ৰূপত কামত আছিল। খেতি কৰিবলৈ পথাৰত লগ-হাল মতা, ধান কাটিবলৈ সাউৰি (সাঁৰিয়া) মতা, বিয়া-সবাহত সকলোৱে মিলিজুলি কাজ-ঘৰীয়াক খৰি ফালি, গাখীৰ-দৈ বিচাৰি-খোচাৰি আনি দি সহায় কৰা আদি সকলো কাম নামত নহলেও বস্তুতঃ সমবায় পৰ্য্যায়ভুক্ত। গাঁৱত ওচৰা-উচৰিকৈ অলপীয়া মাটি থাকিলে মালিক খেতিয়ক-সকলে লগ-হাল বাই খেতি কৰে। সমানে সমানেহে কিন্তু লগহাল বোৱা যায়। সেই বাবেই কথা এটা আছে বোলে, "ৰজাৰ লগত লগ হাল বাবা কেনেকৈ?" আৰু যোজনা দি কোৱা হয় "বলীয়ে নিৰ্ব্বলীয়ে কিহৰ হতাহতি; ধনীয়ে নিধনীয়ে কিহৰ মতামতি।" মুঠতে লগ-হাল বোৱাও সমবায় পদ্ধতিৰে কাম।

কংগ্ৰেছ কৃষি পুনৰ্গঠন কমিটিয়ে দিয়া নিৰ্দ্দেশ মতেও কম মাটি থকা ভাৰতীয় পট্টাদাৰসকলে ওচৰৰ মাটি-গিৰীৰ লগত লগ লাগি খেতি কৰা সকলোৰে পক্ষে হিতকৰ। অৱশ্যে তেনেকৈ লগ হৈ সমবায় গঠন কৰাৰ পথত অনেক বিঘিনি, বিশেষকৈ ভাৰতীয় সামাজিক জীৱনত, গোৱা যায় যেনে,—

১) জাতি আৰু বৰ্ণৰ বৈষম্য;

২) গাঁৱলীয়া জীৱনৰ ঘৰুৱা বিবাদ আৰু জিদ;

৩) অৱস্থাৰ তাৰতম্য বা বৈষম্য;

৪) ঘৰুৱা কন্দল অথবা ব্যক্তিগত স্বাস্থ্যহীনতাৰ হেতুকে নীতি আৰু শৃংখলা মানি চলিবলৈ অসমৰ্থতা;

৫) সুপৰিচালক আৰু সুপৰামৰ্শদাতাৰ অভাৱ, আৰু

৬) শাসন সংক্ৰান্ত হেমাহি আৰু আওহেলা।

এই সকলোবোৰ আহুকালৰ ভিতৰত ভাৰতীয় কৃষকৰ কাৰণে সংহতি-ভাৱৰ অভাৱটো বেছি অহিতকৰ। ই কৃষি-জীৱনতেই নহয়, কৃষকৰ কাৰ্য্যৰ প্ৰায় সকলো ক্ষেত্ৰতে স্পষ্ট হৈ উঠে। সমূহীয়া উন্নয়নত তেনে অসংহতি বা খৰিয়ালে বাৰুকৈয়ে বিঘিনি পথালি দিয়ে। তাৰ কাৰণেই অনেক ঠাইত হব লগীয়া ঠাইতো আলি-পদূলি, পুখুৰী, পুখিউঁৱাল আদি হৈ নুঠে। কৃষিত বিশেষকৈ সংহতি সদায় আৱশ্যকীয়।

ক্ষুদ্ৰ ক্ষুদ্ৰ কৃষকৰ যুটীয়া কৃষিফাৰ্ম (Co-operative joint farm) পোনতে বহুত মাটিত আৰম্ভ কৰা উচিত নহয়। পঁচিশ পুৰা বা এশ বিঘা মানৰ একোটা 'থাক'; 'বান্ধ' বা 'ব্লক' বনাই লব পাৰিলে সুবিধা হয়। অৱশ্যে পৰীক্ষামূলকভাৱে প্ৰদৰ্শনীৰ উদ্দেশ্যে চৰকাৰী খৰচত চৰকাৰে হাজাৰ ডেৰ হাজাৰ বিঘাতো তেনে ধৰণৰ যুটীয়া প্ৰচেষ্টা চলাই চেখুৱা বেয়া নহয়, কিন্তু গাঁৱলীয়া কৃষকৰ কাৰণে ডাঙৰ যুটীয়া কাৰবাৰ প্ৰায় ক্ষেত্ৰতে ভালুকৰ সাঙিৰ দৰেহে হয়।

ক্ষুদ্ৰ ক্ষুদ্ৰ কৃষকৰ সমবায় গাঁৱত গঠন কৰা অতি আৱশ্যক হৈ পৰিছে। আগতে উল্লেখ কৰা হৈছে যে এই সমবায়ৰ বীজ অসমীয়া খেতিয়কৰ অন্তৰত পূৰ্ব্বৰেপৰাই আছে। আজিও জেঠ-আহাৰ মাহত পানী সিঁচি কঠীয়া পাৰা, মাটি বোৱা আদি কামত সেই সমবায় মনোভাব কৃষকৰ ক্ষেত্ৰত স্পষ্ট হৈ উঠে। সমবায়ৰ উপকাৰিতা চৰকাৰৰ পক্ষৰপৰাও প্ৰচাৰ কৰিব লাগে; আৰু প্ৰত্যেক মহকুমাত অন্ততঃ দুটাকৈ তেনে সমবায় প্ৰদৰ্শনী-মূলকভাৱে ৰাখি তাত উৎকৃষ্ট বীজ, সাৰ আদিৰ যোগান ধৰিব লাগে। গাঁৱৰ কৃষকক বুজাই-বঢ়াই সেই পথত আগবঢ়াই দিব পাৰিলেহে দেশৰ কৃষিৰ উন্নতি আশা কৰা যায়। উপযুক্ত আইনৰ দ্বাৰাও ইয়াৰ উন্নতি সাধন কৰা সম্ভৱপৰ হব। বৰ্ত্তমানে অৱশ্যে চৰকাৰৰ পক্ষৰপৰা মাটিৰ ন-পট্টনৰ সময়ত ভূমিহীন কৃষকৰ সমবায়ক আগ-সুবিধা দিবলৈ নিৰ্দ্দেশ দিয়াৰেপৰা গাঁৱে-ভূঁয়ে দুই-একোটা সমবায় অ'ত ত'ত গঠিত হৈছে। সেইবোৰৰ পৰিচালনাত যাতে কেনেকৈ নালাগে তাৰ বাবে কৃষি বিভাগৰ সদায় সতৰ্ক থকা উচিত; কিয়নো তেনে কাৰ্য্যৰ এটা বিফলতাই অনেকক নিৰুৎসাহ আৰু সন্দিহান কৰি তোলে।

বোম্বাই আৰু মাদ্ৰাজত ইতিমধ্যে তেনে খেতিয়কৰ শতকৰা ৬৬ জনে আৰু তাৰ লগতে শতকৰা ৭৫ ভাগ মাটিৰ মালিকে মাঙি হলে সমবায় খেতি বাধ্যতামূলক কৰিবলৈ আইন ৰচনা কৰা হৈছে।

কৃষকৰ সমবায় সাধাৰণতে তিনি প্ৰকাৰৰ আছে ; যেনে -

(১) ক্ষুদ্ৰ কৃষকৰ সহ-কৃষি সমবায় (Co-operative Joint Farming);

(২) বহু-উদ্দেশ্যমূলক সমবায়ৰ জৰিয়তে প্ৰত্যেক গাঁৱতে হোৱা উৎকৃষ্ট কৃষি-সমবায় (Co-operative Better Farming through a multipurpose Cooperative in each Village), আৰু

(৩) যৌথ-কৃষি সমবায় (Co operative Collective Farming) ।

এইবোৰৰ উপৰিও সমবায় পৰিকল্পনা কমিটিয়ে Co operative Planning Committeeয়ে) আৰু এবিধ সমবায়ৰ নাম দিছিল—তলতীয়া ৰায়তৰ সমবায়। কিন্তু ভূমি নীতি সংস্কাৰৰ যুগত ই যুগধৰ্মৰ লগত খাপ নাখাব। কিয়নো তলতীয়া ৰায়ত উঠাই তেনে ৰায়তক মাটিৰ মালিকী স্বত্ব দিবৰ কাৰণেই যেতিয়া ইমান যত্ন চলিব লাগিছে তেনেস্থলত তলতীয়া ৰায়তৰ সমবায় সৃষ্টি হলে ই তলতীয়া ৰায়তক তেনেভাবেই দীৰ্ঘকালব্যাপী ৰাখিবলৈ আৰু বেছি সহায়হে কৰিব। গতিকে তলতীয়া ৰায়তৰ সমবায় বৰ্ত্তমান যুগত অপ্ৰযোজ্য আৰু অপ্ৰাসঙ্গিক।

ক্ষুদ্ৰ কৃষকৰ সহ-কৃষি সমবায়ত কৃষকে নিজৰ মাটি, গৰু, হাল কঠীয়া আদি সমবায়ত দিব। এই সকলোবোৰৰ মূল্য নিৰূপণ কৰি লৈ মূল্য অনুসাৰে উৎপন্ন আৰু লাভৰ অংশ নিৰ্ণয় হয়। তেনে ধৰণৰ অংশ নিৰূপণত মাটিৰো মূল্য ধৰা ভাল, নহলে 'জীজ'ত লোৱা মাটিত নানান অসুবিধা আহি পৰে। কাম কৰিবলৈ অহা লোকৰ বৰমহাৰ ব্যৱস্থা থকা উচিত। কোনো কোনো ক্ষেত্ৰত কৃষকে হাল-গৰু সমবায়ত জমা নিদি নিজৰ সম্পত্তি কৰি ৰাখে। চীন দেশৰ সমবায়ত এই নীতি বহকৈ মানি চলা হয়, আৰু তাৰ দ্বাৰা কৃষকে তাত বিস্তৰ উপকাৰো পাইছে।

খেতিৰ গৰু গাইগুটীয়াকৈ ৰাখিলে লাভৰ কি নিবিধ হব আৰু কাৰ্য্যত দিলে কি নিবিধ হব বা কি নিবিধে দৰমহা হব—সেইটো আগতে স্পষ্ট-ভাৱে নিৰ্দ্ধাৰিত হব লাগে। যদি সমবায়ভুক্ত কোনো লোকে সেই গাঁও এৰি অন্য গাঁৱত বাস কৰেগৈ তেনেস্থলত তেওঁক সমবায়ৰপৰা বাদ দিয়া

চলে, নহলে অন্য কোনো কাৰণতে সমবায়ৰ সভ্য বাদ দিয়া উচিত নহয়। প্ৰত্যেক সমবায়ৰে অন্তৰ্ভুক্ত সভ্যসকলৰ দ্বাৰা নিৰ্ব্বাচিত একোখন পৰিচালনা সভা (Managing Committee) থাকিব লাগে।

এনেকুৱা সমবায়ত কৰ্মীৰ কামৰ হিচাপ ৰখা হয়েও থাকে। তাত কোনে কিমান সময় খাটে বা কাম কৰে তাৰ বিতং হিচাপ লিখি ৰাখিব লাগে। চৰকাৰী চাকৰিয়াল এই হিচাপ ৰখা কামত থকা ভাল। সেয়ে নহলে বহুত বেমেজালি ঘটে। কামৰ দৰমহা সচৰাচৰ সেই সেই অঞ্চলৰ চলি থকা হজুৰাৰ দৰমহাৰ নিৰিখতকৈ কম হোৱা উচিত নহয় আৰু দৰমহাও যথাসময়ত দিয়াৰ সুব্যৱস্থা থাকিব লাগে।

এইদৰে বছৰৰ শেষত মুঠ উৎপন্নৰপৰা (১) দৰমহা, (২) লভ্যাংশ, (মূলধনৰ অংশৰ শতকৰা চাৰি টকামানকৈ হব লাগে), (৩) ঋণত অনা আৰু অন্যে জমা থোৱা ধনৰ সুত, (৪) নিত্য-নৈমিত্তিক খৰচ (৫) লোকচান, (৬) অপব্যয়, ঘৰৰ ভাৰা, ইত্যাদি আৰু (৭) অন্যান্য খুচুৰা খৰচ—এই-বোৰত বাদে বাকী উৎপন্নৰ শতকৰা পঁচিশ টকা মান "বিজাৰ্ভ ফাণ্ড"ত ৰাখি অৱশেষ লাভখিনি দৰমহাৰ অনুপাতে অৰ্থাৎ কামৰ অনুপাতে সমবায়-ভুক্ত লোকসকলক ভগাই দিব লাগে।

কোনো সভ্যই ইস্তফা দিলে আৰু তেওঁৰ ইস্তফা গৃহীত হলে অথবা কোনো সভ্য বিধি-বিহিতভাৱে বহিষ্কৃত হলে তেওঁলোকে নিজৰ মূলধন নিব পাৰিব, কিন্তু মাটি নিব নোৱাৰে। এই ধনো নিব পাৰিব আৰম্ভৰ পৰা পাঁচ বছৰৰ অন্ততহে, তাৰ আগতে নহয়। প্ৰত্যেক সমবায়ে নিজ নিজ সুবিধামতে বিবেচনা কৰি নিয়মাৱলী ৰচনা কৰিব লাগে। সেই নিয়মাৱলী তেওঁলোকৰ কাৰ্য্য-বিধি স্বৰূপ।

চৰকাৰৰ পক্ষৰপৰা এনেবোৰ কামত মুক্তহস্তভাৱে সহায় কৰা উচিত। আৰ্থিক সাহাৰ্য্য দিয়াতকৈও পোনতে চৰকাৰী বিষয়া পঠাই সমবায়ৰ আৰম্ভণিটো কৰি দিয়াহে হিতকৰ; কিয়নো চৰকাৰী বিষয়া অন্ততঃ স্থানীয় দলাদলি বা দলগত স্বাৰ্থত লিপ্ত নাথাকে বুলি ভাবিবৰ কাৰণ আছে। ঠায়ে ঠায়ে ভূমি-আয়োগ বা লেণ্ড কমিচন (Land Commission) পাতি দি সেই আয়োগবোৰৰ জৰিয়তে অথবা কৃষি বিভাগৰ জৰিয়তে উৎকৃষ্ট বীজ উৎকৃষ্ট সাৰ, সঁজুলি আদিৰ যোগান ধৰাৰ ব্যৱস্থা দেশৰ সকলো ঠাইতে হোৱা উচিত।

বহু-উদ্দেশ্যমূলক সমবায়ৰ দ্বাৰা কৃষিজাত বস্তুৰ বিক্ৰী, কৃষিৰ আৱশ্যকীয় সঁজুলি আদিৰ সংগ্ৰহ, ঋণদান—এনেবোৰ কাৰ্য্য সহজ আৰু লাভজনক হৈ পৰে। ব্যয় আৰু পুৰুষাৰ্থৰ দ্বাৰা কেৱল কৃষিজাত বস্তুৰ উৎপাদ বঢ়ালে নহয়, তাৰ বিক্ৰী আৰু বিতৰণৰ কাৰণেও ব্যৱস্থা কৰিব লাগে। নহলে কৃষি-কৰ্ম্ম লাভজনক নহয় আৰু কৃষকৰ পৰিশ্ৰম অথলে যায়। ধন সংগ্ৰহ ঋণ দান, খেতিৰ কাৰণে গৰু-মহৰ সুব্যৱস্থা কৰা, খাদ্যাদি সংগ্ৰহ কৰা কাৰ্য্য—এনেবোৰ কাম এই প্ৰকাৰ সমবায়ৰ কৰ্ত্তব্যৰ ভিতৰত পৰে।

তৃতীয় বিধ সমবায় অৰ্থাৎ যৌথ কৃষি সমবায় (Collective Farming)ৰ কাৰণে উৎকৃষ্ট ক্ষেত্ৰ হৈছে নতুনকৈ আবাদ কৰি উলিওৱা ভূমিবোৰ। তেনে ভূমিত নতুন নতুন পৰিকল্পনা অনুযায়ী খেতি আৰম্ভ কৰা যায় আৰু নানা প্ৰকাৰৰ নব নব বৈজ্ঞানিক যন্ত্ৰপাতিৰে সেইবোৰ ঠাইত খেতি সহজ হৈ পৰে। কম কম মাটি থকা ডাঙৰ ডাঙৰ পথাৰবোৰৰ মালিকসকলেও একত্ৰ হৈ মিলি-জুলি যৌথ-কৃষিসমবায় আৰম্ভ কৰিব পাৰে; তাৰ দ্বাৰা অকলে নোৱাৰা কামবোৰ সুসাধ্য হৈ পৰে;* যেনে—জলহীন ঠাইত জল-সিঞ্চনৰ ব্যৱস্থা কৰা, উদ্বৃত্ত শস্য ভাৰে যথাউচিত বন্ধা ইত্যাদি।

ওপৰত উল্লেখ কৰা কেইপ্ৰকাৰ সমবায়ৰ বাহিৰেও আৰু অনেক ধৰণৰ সমবায় কাৰ্য্য আছে। তাৰে ভিতৰত ধনাঢ্যসকলৰ সমবায় (Capitalist Farming) আৰু চৰকাৰী সমবায় (State Farming) বিশেষ উল্লেখৰ যোগ্য। ধনাঢ্যসকলৰ সমবায় ইংলণ্ড আৰু আমেৰিকাত বৰ বেছি। এই

---

* The sense of private property inherent in the peasant proprietor and tenant cannot favour the introduction of collective farms or artels in India, but the mass of the small peasant holdings may be combined into co-operative associations for the purchase and use of agricultural machinery for consolidation, for irrigation, even for rural electrification, which will overcome the low yield of Indian small farming—

Dr. R. K. Mukerjee

(Land Problems of India)

প্ৰকাৰ সমবায় কৃষিত হয় ধনৰ সমূহীয়া ভঁৰাল সাজি তাৰপৰা খৰচ কৰি, নতুবা কোনো অৰ্থবান ব্যক্তিবিশেষৰপৰাই ধন খৰচ কৰি নতুন প্ৰণালীত খেতি কৰা হয়। কৃষকসকলে ইয়াত বানচ লৈ খেতি কৰে। মুঠতে ই খেতিয়কক একপ্ৰকাৰ কৃষি-বনুৱাহে বনায় বুলিব পাৰি। সেই-বাবে সংস্কাৰকামী ভাৰতত ই অপ্ৰয়োজ্য।

চৰকাৰী সমবায়ত খেতিৰ সকলো কাম চৰকাৰে চলায়। ই প্ৰদৰ্শনীৰ পথাৰ তৈয়াৰ কৰাত বিশেষ কাৰ্য্যকৰী হলেও ভাৰতীয় কৃষকৰ কাৰণে সিমান উপযোগী নহয়। ইয়াতো যন্ত্ৰপাতিৰ প্ৰচুৰ ব্যৱহাৰ হয় আৰু কেতিয়াবা—উপকক্ত দুয়ো প্ৰকাৰ সমবায়ে নিবন্নুৱা বৃদ্ধিত সহায়হে কৰে। এই দুই প্ৰকাৰ সমবায়ো ভাৰতত পৰীক্ষামূলকভাৱে প্ৰয়োগ কৰা দেখা গৈছে।

সমবায়ৰ কৃতকাৰ্য্যতা নিৰ্ভৰ কৰে (১) জ্ঞানী নায়কত্ব, (২) উৎপন্নৰ উচিত বিতৰণ, (৩) আৰম্ভণিত ত্যাগ আৰু কষ্টস্বীকাৰৰ সামৰ্থ্য আৰু (৪) নিজৰ বুলি ভাবি সকলোৱে কাম কৰিব পৰা ক্ষমতাত।

সংস্কৃতত আছে—"সংহতি কাৰ্য্যসাধিকা"; অৰ্থাৎ যাউখে উতিলে অৰিণকৰাবো মৰণ নাই; বহুত তৃণ গোটাই কৈ সাজি মতলীয়া দঁতাল হাতীকো বান্ধি ৰখা যায়। সংহতিয়েই সমবায়। সেইবাবে সমবায়ৰ অসীম বল, অপৰিমিত শক্তি। সেইবুলি কিন্তু সমবায় প্ৰচেষ্টাক কেতিয়াও কোনো প্ৰকাৰে ব্যক্তিগত উদ্যোগ ধ্বংস কৰিবলৈ দিব নালাগে। সেইবাবে সমবায়-ভুক্ত লোকৰ নিজা ঘৰবাৰী কেতিয়াও সমবায়ত লৈ লব নালাগে। অন্য পিনে আকৌ সমবায়ৰ সভ্যসকলে নিজৰ অনেক মাটি সমবায়ৰ বাহিৰত ৰাখি দিলেও সমবায়ৰ প্ৰতি তেওঁলোকৰ শ্ৰদ্ধা আৰু আকৰ্ষণ কমি আহে। ই তেনেই স্বাভাৱিক কথা।

আগতে কোৱা হৈছে যে সমবায় প্ৰেৰণা ভাৰতত ন বস্তু নহয়। কাৰণ আগতে ই এটা নহয় এটা ৰূপত আছিল। ইংৰাজসকলৰ আগমনে ভাৰতীয় লোকৰ মনত ত্যাগতকৈ ভোগ আৰু সমূহীয়া চিন্তাতকৈ ব্যক্তিগত চিন্তা প্ৰবল কৰি তোলে। ব্যক্তিগত স্বাৰ্থ আৰু ব্যক্তি স্বাধীনতাৰ পৰি-পোষকতা কৰাত পাশ্চাত্যই সদায় আগ ভাগ লৈ আহিছে। ত্যাগৰ আদৰ্শ গঢ়ি তোলা প্ৰাচ্যৰ সমাজে সদায় নিস্বাৰ্থ কৰ্ম্মৰেই প্ৰেৰণা যোগাইছিল। সেইবাবেই পণ্ডিত নেহেৰুৱেও কৈ গৈছে "পূৰ্ব্বতে কৃষি প্ৰণালী গাঁৱৰ সমূহীয়া

প্ৰচেষ্টাৰ ওপৰত নিৰ্ভৰ কৰিছিল। ব্যক্তিৰ আৰু পৰিয়ালৰ এনে সমূহীয়া প্ৰচেষ্টাৰ লগত উপভোগৰ স্বত্ব আৰু কৰ্ত্তব্যৰ সৰ্ত্ত বন্ধা আছিল। চিৰাচৰিত ৰীতিবোৰেই একৰকম আইনত পৰিণত হৈ কৰ্ত্তব্যৰ ঔচিত্য নিৰূপণ কৰিছিল।"

গতিকে সেই ত্যাগ-মন্ত্ৰত দীক্ষিত ভাৰতীয় সমাজ পুনঃ সেই একে মন্ত্ৰ শুনি উদ্দীপ্ত হ'ব হ'ল! সমবায়ৰ বাণী ত্যাগমন্ত্ৰৰেই অন্যপ্ৰকাৰ সংস্কৰণ। ইয়াত ত্যাগৰ মাজেদি জীৱনৰ শ্ৰেষ্ঠতম ঐহিক উপভোগ সম্ভৱ হৈ পৰে। অন্য কথাত কবলৈ গলে সমবায়ে পাৰত্ৰিক সুখৰ সন্ধান নোযোগায়; জীৱিতাৱস্থাৰ বাস্তৱ সুখ আৰু আনন্দহে ইয়াৰ লক্ষ্য। আচাৰ্য্য বিনোবা ভাবে কোৱাৰ দৰে মানুহৰ হাতৰ পাঁচোটা আঙুলি সমান নহয়; কোনোটো দীঘল, কোনটো চুটি; কোনোটো শকত, কোনোটো দুৰ্ব্বল। কিন্তু আটাইবে সমবায়ত হাতখনে সকলো কাম কৰিবলৈ শক্তি পায়। সমবায়বো সেই একে কথা।

ভূদান

পুৰণি কালত ভূদান বুলিলে ৰজাই পণ্ডিত বা ব্ৰাহ্মণক দিয়া ভূমি-দান বুজা গৈছিল। যাকে-তাকে ভূ-দান কৰিবৰ অধিকাৰো নাছিল, দৰকাৰো নাছিল। আধুনিক যুগত কিন্তু ভূদান এটা বিশেষ ধৰণৰ আন্দোলন বুলি পৰিগণিত হৈছে। আধুনিক ভূদানৰ তাৎপৰ্য্য ইয়াত অলপ আলচ কৰা হব।

ভূদানৰ অন্তৰ্নিহিত ভাব এই যে বায়ু, পানী আৰু আকাশৰ দৰে ভূসম্পত্তিও প্ৰকৃতিৰ দান। মানুহে তাক প্ৰয়োজন মতহে ভোগ কৰিব লাগে। ভগৱানে যেনেকৈ বায়ু, পানী আদি গ্ৰহণৰ কাৰণে নাক, মুখ আদি ইন্দ্ৰিয় সকলো লোকক সমভাৱে দিছে অৰ্থাৎ দুখীয়াক এটা নাক আৰু ধনীক চাৰিটা, নতুবা চকীদাৰক এখন মুখ আৰু মন্ত্ৰী বা বৰচাহাবক চাৰিখন দিয়া নাই, ঠিক সেইদৰে ভূমিৰ ওপৰতো তাৰ ব্যৱহাৰৰ কাৰণে সকলোকে সমান স্বত্ব দিছে। যাৰ যি পৰিমাণ প্ৰয়োজন সি তাকে গ্ৰহণ কৰিব। আজি সেয়ে নোহোৱা হেতুকে সংসাৰত অধৰ্ম্ম হৈছে, আৰু সেই অধৰ্ম্মৰ কাৰণেই যুদ্ধ-বিগ্ৰহ আদি হয়। ভূদানৰ জন্ম-দাতা আচাৰ্য্য বিনোবা ভাৱেৰ মতে এই অধৰ্ম্ম গুচাই ধৰ্ম্ম প্ৰৱৰ্ত্তন কৰাই ভূদানৰ লক্ষ্য। সেই-কাৰণেই এই অভিযানৰ নাম 'ধৰ্ম্ম প্ৰবৰ্ত্তন'। ইয়াকে ভূমি-দানো বোলে। দান শব্দৰ অৰ্থ ইয়াত অকল দিয়াযে নহয় বিতৰণ কৰি দিয়াও।

ভাৰতত আজি পাঁচ কোটি ভূমি-হীন মানুহ আছে। তেওঁলোকৰ কাৰণে অন্ততঃ পাঁচকোটি একৰ বা পোন্ধৰ কোটি বিঘা মাটি লাগে। হিচাপত পোৱা গৈছে যে প্ৰায় ৭২ কোটি একৰ খেতিৰ উপযোগী মাটি ভাৰতত আছে আৰু তাতে প্ৰায় ত্ৰিশ কোটি একৰত বছৰি খেতি হয়। কৃষিৰ উপযোগী অনেক মাটি এনেয়ে পতিত থাকে। এনে পতিত জমিৰ এটা ডাঙৰ অংশ আকৌ অখেতিয়ক পট্টাদাৰৰ ব্যক্তিগত সম্পত্তি। এনে অৱস্থাত বিনোবাজীৰ প্ৰধান লক্ষ্য ভূমি, অন্যান্য সম্পত্তি আৰু শ্ৰমদাৰ

উচিত বিভাগ আৰু পুনৰ বিতৰণ হব লাগে। ইয়াকেই সাম্যযোগ বোলে; অৰ্থাৎ ন্যায় মতে সম-বিতৰণ।

মহামানৱ মহাত্মা গান্ধীয়েও কৈছিল যে মানুহৰ শৰীৰৰ কোনো এটা অংশত অত্যাধিকভাবে তেজ জমা হলে যিদৰে শৰীৰটোক অচল আৰু কগ্ন কৰি তোলে ঠিক সেইদৰে অৰ্থ-সম্পত্তি, ক্ষমতা-প্ৰভুত্ব আদিৰ একত্ৰীকৰণেও সমাজ আৰু দেশক দোষযুক্ত আৰু অচল কৰি তোলে। আচাৰ্য্য ভাৱেৰো ভূদান যজ্ঞ তেনে দোষযুক্ত সমাজক দোষমুক্ত কৰা এটি অহিংস আচনি মাত্ৰ। কাৰণ ভূদানৰ লগত কূপ-দান, সম্পত্তিদান গ্ৰামদান আদি অন্যান্য দানবোৰৰ কাৰণেও আচাৰ্য্য ভাৱেৰ আচনিত স্থান আছে।

ভূদানৰ কথা কোৱাৰ আগতে ভূদানৰ জন্মদাতা আচাৰ্য্য বিনোবা ভাৱেৰ জীৱন সম্পৰ্কেও অলপ জনোৱা উচিত। তেওঁ বোম্বাই ৰাষ্ট্ৰৰ কোবালা জিলাৰ লোক। জন্ম অপমৰ ৰৱড়ুঁইকপৰ সময়ত; ১৮৯৫ চনত। এতিয়া বয়স ৬৩ বছৰ।* সৰু কালৰেপৰা শিক্ষা আৰু জ্ঞান অৰ্জনৰ স্পৃহা ভাৱেৰ বৰ প্ৰবল আছিল। ১৯১৬ চনত তেওঁৰ মহাত্মা গান্ধীৰ লগত সাক্ষাৎ হয়। তেওঁ তেতিয়াৰেপৰা মনে প্ৰাণে মহাত্মাক গুৰু মানি লয়। এবাৰ তেওঁ মহাত্মাৰ অনুমতি লৈ মনৰ শক্তি আৰু জ্ঞান-চৰ্চ্চাৰ সুবিধা বিচাৰি কাশীলৈ যাব ওলোৱাত মহাত্মাই তেওঁক এই বুলি বিদায় দিছিল— "যোৱা, কিন্তু গঙ্গাৰ পবিত্ৰ তীৰতো মনৰ পূৰ্ণ শক্তি যদি পোৱা নাযায় তেনেহলে যেন ঘুৰি আহি বাৰ্দ্ধা আশ্ৰমত থাকা।' কাৰ্য্যত সেয়ে হ'ল। এবছৰৰ ভিতৰতে বিনোবাজী ঘুৰি বাৰ্দ্ধা পালেহি।

বিনোবাভাৱে পণ্ডিত লোক। তেওঁ অন্ততঃ বাৰটা ভাষা সুন্দৰকৈ জানে আৰু সেইবোৰ ভাষাত সৰ্‌সৰকৈ কথা কব পাৰে। ১৯৪০ চনত মহাত্মা গান্ধীয়ে ব্যক্তিগত সত্যাগ্ৰহ আন্দোলনৰ প্ৰথম সেনাপতি হিচাপে আগবঢ়াই দি দেৰোপ্যমান জগতৰ আগত পোনতে বিনোবাক উলিয়াই দিয়ে। মহাত্মাৰ মৃত্যুৰ পিছত বিনোবাজীয়ে শান্তিপূৰ্ণ জীৱন যাপন কৰিবলৈ লৈছিল। কিন্তু ভগৱানে কেতিয়া কাৰ জৰীয়তে তেওঁৰ কি অভিপ্ৰায় সিদ্ধি কৰে কেৱে নাজানে!

---

* ১৯৫৮ চনত।

১৯৫১ চনৰ কথা! হায়দৰাবাদৰ ওচৰৰ শিৱৰামপল্লী নামে ঠাইত সেইবাৰ সৰ্ব্বোদয়ৰ তৃতীয় বাৰ্ষিক সন্মিলন বহিছিল। তাতে বিনোবাজীকো নিমন্ত্ৰণ কৰা হৈছিল। পৌনাৰ নামে ঠাইৰ পৰা তেওঁ ৫ মাৰ্চ্চ তাৰিখে পদব্ৰজে যাত্ৰা কৰি ৫ এপ্ৰিল তাৰিখে পুৰা ৩০০ মাইল ভ্ৰমি সন্মিলনত যোগ দিছিল।

সন্মিলনত তেওঁ শুনিবলৈ পালে যে হায়দৰাবাদৰে টেলেঙ্গনা নামে ঠাইত হত্যা আৰু বিভীষিকাৰ পূৰ্ণ পযোভয় চলিছে। কমিউনিষ্টৰ জয়ত তাৰ পুলিচসকলো উদ্বেগমন। তেওঁ তাতে খোজকাঢ়ি যাবলৈ স্থিৰ কৰিলে, কিন্তু হায়দৰাবাদৰ পুলিচে ৰলে তেওঁক সেই ঠাইলৈ নাযাবলৈ ভূয়োভূয়ঃ অনুৰোধ কৰিলে। বিনোবাজী ভয় কৰা বিধৰ লোক নহয়; তেওঁ গ'ল যে গ'লেই।

৩০ৰ এপ্ৰিল তাৰিখে বিনোবাজী গৈ পোচামপল্লী নামে ঠাই পালে। এই ঠাই সেই সময়ত হৈ পৰিছিল নিৰ্ম্মম হত্যা আৰু ভীতি প্ৰদৰ্শনৰ লীলাভূমি। তেওঁ গৈ তাতেই বাহৰ পাতিলে। গাঁৱৰ মানুহবোৰৰ গোটাই লৈ অন্তৰ খুলি কথা হবলৈ বিচাৰি দেখিলে—সকলোৰে তেনেই জুই-ছাই। দুজন হৰিজনে থিয় হৈ নিৰ্ভীকভাৱে কলে—"আমি সেইবোৰ শুওনো। আমি যদি হতাৰ দ্বাৰা মাটি পাওঁ, তেনেহলে এই মুহূৰ্ত্ততো নৰ-হত্যা কৰিবলৈ ৰাজী আছোঁ—সিফালে লাগিলে যিয়েই হওক।"

অভিজ্ঞ চিকিৎসকে বেমাৰীৰ ব্যাধি বুজি লোৱাৰ দৰে বিনোবাজীয়ে মানুহবোৰৰ অন্তৰৰ কথা বুজি পেলালে। তেওঁ তাতেই প্ৰস্তাৱ কৰিলে—"এই সভাত বাৰু এজনো এনে লোক নোলাবনে যি অন্ততঃ আশী একৰ ভূমি বিনা চৰ্ত্তে দান কৰি এই আতুৰ ভূমিহীনসকলক ৰক্ষা কৰিব আৰু ভগৱানৰ ৰাজ্যত শান্তি আনিব পাৰে? তাতে শ্ৰীৰামচন্দ্ৰ ৰেড্ডি নামে এজন লোকে পোনেই আশী একৰৰ ঠাইত এশ একৰ ভূমি তেতিয়াই তেতিয়াই দান কৰিলে।

এই এশ একৰ ভূমি দানস্বৰূপে পাই আচাৰ্য্যৰ মন আনন্দত নাচি উঠিল। তেওঁ বুজিলে এই কাৰ্য্যৰ মাজেদি নিশ্চয় তেওঁৰ ওপৰত ভগৱানৰ কিবা এটা নিৰ্দ্দেশ আছে। তাৰ কেইদিনমান পিছতে, ত্ৰৈলোক্যনাথৰ

যেওঁ ভূমিহীনৰ কাৰণে ভূমি সংগ্ৰহৰ সেই একে উদ্দেশ্যকে লৈ গ'ল। তাত তেওঁক গাঁৱৰ ধনী-দুখী, ভূস্বামী-ভূমিহীন সকলোৱে আহি আদৰি নি মাল্য দান কৰিলে। তেতিয়া তেওঁৰ মুখেদি আপোনা আপুনি বাহিৰ হ'ল—"মালাৰ ফুলবোৰ কেনে ধুনীয়া বস্তু! এই ধুনীয়া ফুলৰ জন্মদাত্ৰী ধৰিত্ৰী আৰু যে কিমান ধুনীয়া। ফুল ভগৱানৰ পূজাৰ বস্তু; ভূমি আমাৰ জীৱন ধাৰণৰ সম্বল। আপোনালোকে মোক ভূমি দান কৰি ৰক্ষা কৰক। মই দৰিদ্ৰ ভূমিহীনসকলৰ প্ৰতিনিধিৰূপেহে ভিক্ষা কৰিবলৈ আহিছোঁ।"

আচাৰ্য্য ভাৱেৰ তেনে কথাত বাইজৰ পৰা খিতাতে আশী একৰ ভূমিৰ দান সংগৃহীত হ'ল। তেতিয়াই আচাৰ্য্যই ঠিক কৰিলে যে ইউক্লিডৰ দুটা বিন্দু যেতিয়া হৈ পৰিল—তেতিয়া 'লাইন' বা আঁচটো সম্পূৰ্ণ হ'ল বুলিয়ে ধৰি লব পাৰি। ইয়াকে স্থিৰ কৰি কাম আৰম্ভ কৰাত দুমাহৰ ভিতৰতে বাৰ হাজাৰ একৰ মাটি দানৰূপে সংগৃহীত হ'ল!

যাঠি বছৰ আগেয়ে মনীষী টলষ্টয়ে কৈছিল যে মাটিৰ ব্যক্তিগত মালিকী স্বত্ব নীতি-বিৰুদ্ধ (immoral)। দুগৰ্ভাগ্যে তাকে কব লাগিছে। আচাৰ্য্য ভাৱেৰো অাচলতে সেয়ে লক্ষ্য। মাটিৰ মালিকী স্বত্ব উঠি গলে আপোনা-আপুনিয়ে সমবায় ভাৱৰ বিয়পি পৰিব। ৰুচিয়াত আৰু চীনত চৰকাৰে তাকে কৰিলে। আমাৰ ভাৰতত অহিংসাৰ দ্বাৰাই সেইকাৰ্য্য কৰিবলৈ আচাৰ্য্য ভাৱে লাগি গৈছে। যেনেকৈয়াই খোৱা, দেখাত তেনেই নিশকতীয়া এই লোকজনেই আজি দেশত অসাধ্য সাধান কৰি ফুৰিব লাগিছে।

চীন, আমেৰিকা, ৰুচিয়া আদিয়ে যিবোৰ সমাজ-হিতকৰ কাম আইনৰ জৰিয়তে বলেৰে কৰিছে ভাৰতে সেইবোৰ অহিংসা আৰু ত্যাগৰ বলেৰে ক'ৰিব। অহিংসভাৱে চলোৱা অসহযোগ আন্দোলনৰ সহায়ত অৰ্জন কৰা ভাৰতৰ স্বাধীনতাই তাৰ উজ্জ্বল পটন্তৰ।

ভাৰতৰ কৃষ্টি অন্যবোৰ দেশৰ কৃষ্টিৰ পৰা সম্পূৰ্ণ পৃথক আৰু স্বতঃসম্পূৰ্ণ। যুগ-ধৰ্মই কৰা ঠাইৰ হিতকৰ পৰিৱৰ্তনবোৰ ভাৰতৰ কৃষ্টিৰ লগত খাপ খোৱাকৈ আনি দিব। অন্য কথাত ভাৰতৰ কৃষ্টি আৰু চিন্তাধাৰাত অন্য ঠাইৰ হিতকৰ পৰিৱৰ্তনবোৰ আপোনা-আপুনি লীন হৈ যাব আৰু সেইবোৰে ভাৰতবৰ্ষতে নতুন ৰূপ লব। সেইধাৰেই আচাৰ্য্য বিনোবাজীৰ উদ্দেশ্য

ৰক্তক্ষেত্ৰ ত্যাগ কৰি অহিংস আন্দোলনৰ দ্বাৰা ভাৰতত ভূমি-সংস্কাৰ সাধন কৰা। তাকে কৰিব নোৱাৰিলে পৰিবৰ্ত্তন যিকোনো ৰূপত আহিবই আহিব—ৰক্ষা নাই।* (১)

যাৰ মাটি তাৰ নাই খেতি আৰু যাৰ খেতি তাৰ নাই মাটি, এই অসঙ্গতি থাকিব নোৱাৰে। পূৰ্ব্বতো নাছিল। এনে অসঙ্গতিৰ অৱশ্যম্ভাৱী ফল উৎপন্নৰ হ্ৰাস আৰু বহিঃখেদা শ্ৰেণীৰ সৃষ্টি। আচাৰ্য্য বিনোবাজীৰ মতে অতিশয় শকত লোকে লৰোণ দি গাৰ অতিৰিক্ত ওজন কমোৱাৰ দৰে চলালিব নোৱাৰাকৈ অধিক ভূমি থকা লোকেও ভূমি দান দি নিজৰ আৰু সমাজৰ কল্যাণ কামনা কৰা একে ধৰণৰ কথা।

বহুতে কব পাৰে আইনৰ দ্বাৰা ভূদানৰ কামটো সহজ বা সুসাধ্য হৈ পৰে; কিন্তু সেইটো নহয়। যি কাম সকলোৱে কাৰণে সমভাৱে গ্ৰহণীয় নহব সি সুসাধ্য নহয়। আইন সকলোৱে কাৰণে গ্ৰহণীয় নহয়। আইনেৰে গলে জমিদাৰে স্বেচ্ছাৰে জমিৰ সম্পূৰ্ণ স্বত্ব ত্যাগ নকৰে; পাৰেমানে যুঁজিব, আৰু নোৱাৰিলেহে বাধ্য হৈ এৰি দিব। ভূদানৰ দাতাই স্বত্ব স্বেচ্ছাই পৰিহাৰ কৰিব।

বহুতৰে ধাৰণা আকৌ ভূদানত দাতাই প্ৰৱঞ্চনা কৰিবলৈ আৰু সম্পত্তি ৰাখিবলৈ সুযোগ পাব। বস্তুতঃ সেইটোও নহয়। কাৰণ দাতাৰ অন্তৰ সম্পূৰ্ণৰূপে বিজিত নহলেহে তেনে ঠগ-প্ৰবঞ্চনা আহি পৰিব। অন্তৰবণ বা জানি বুজি দানকৰ্ত্তাসকলে তেনে নকৰে। অন্তৰ জয় কৰিব নোৱাৰিলে আচলতে ভূদান যজ্ঞও সফল নহয়। অন্তৰ জয় কৰিব পাৰিলে জয় কৰিবলৈ বাকী একো নাথাকে। সেয়েহে আচাৰ্য্য বিনোবাৰ হাতত পৰি মাত্ৰ এক একৰ ভূসম্পত্তি থকা অনেক লোকেও তাৰেই একোটি অংশ দান কৰিবলৈ হাঁহিমুখে আগ বাঢ়ি অহা পোৱা গৈছিল। এনেবোৰ কাৰ্য্য জানো দানকামীসকলৰ বিজিত অন্তৰৰ পৰিচায়ক নহয়?

---

* (১) My mission is not to stave off a revolution. I want to prevent a violent revolution. The future peace and prosperity of the country depend upon the land problem—Vinoba Bhave.

অৱশ্যে ভূমি দানৰ দ্বাৰা যে ভূমি-সমস্যা সম্যক আৰু সম্পূৰ্ণৰূপে সমাধান কৰা নাযায় তাক আচাৰ্য্য ভাৱে নজনা নহয়। তেখেতৰ সেইটো চৰম লক্ষ্যও নহয়। তেখেতৰ লক্ষ্য অৰ্থনৈতিক পৰিবৰ্ত্তন এটাৰ কাৰণে মানুহৰ মন ক্ৰমাগত অভ্যস্ত কৰা। তেখেতে নিজে কৈছে—"অৰ্থনৈতিক সংস্কাৰৰ কাৰণে এটা অনুকূল অৱস্থা তৈয়াৰ কৰাহে মোৰ এই অভিযানৰ লক্ষ্য।" * (১)

আচাৰ্য্য ভাৱেৰ মতে ভূদানৰ কাৰণে মৌখিক দান যথেষ্ট—লেখাপঢ়া নালাগে। তাতে যদি কোনোৱে দানত দিয়া মাটি ঘূৰাই নিব খোজে নিয়ক, নিদিয়ে নিদিয়ক। দাতাৰ অন্তৰ জয় কৰা হলে কেতিয়াও তেনে কাৰ্য্য নহয়। জোৰ-জুলুমৰ কথা ইয়াত নাই; ফুচুলনি-উদগনিৰ প্ৰশ্ন ইয়াত নুঠে। তথাপি হিচাপৰ সুবিধাৰ কাৰণে এতিয়া ভূখণ্ডকৈ দান-পত্ৰ তৈয়াৰ কৰাৰ ব্যৱস্থা হৈছে।

ভূমি সংগ্ৰহতকৈও ইয়াৰ সমুচিত বিতৰণ অধিক কষ্টসাধ্য কাম। সংগৃহীত ভূমি বিতৰণৰ চমু প্ৰণালী এই—পোনতে এটা নিৰ্দ্দিষ্ট দিনত সংশ্লিষ্ট স্থানত খা-খবৰ দি ভূদানৰ কৰ্মীসকল যাব। তাত গাঁৱৰ সকলো মানুহ গোট খাই গাঁৱৰ সবাতোকৈ ভূমিহীন লোক কোন কোন আছে তাৰে লিষ্ট কৰিব। তেনে লিষ্ট হোৱাৰ পিছত তেনে জমিহীন লোকৰ মাজতহে সংগৃহীত জমি বিতৰণ হব। বিতৰণত পোন.ত হৰিজন আৰু অনুন্নত সম্প্ৰদায়ে পাব। মাটি পোৱা মানুহ কিন্তু সম্পূৰ্ণৰূপে প্ৰকৃত খেতিয়ক হব লাগিব। বিতৰণৰ কৃতকাৰ্য্যতাৰ ওপৰত ভূদানৰ সাফল্য ভালেখিনি নিৰ্ভৰ কৰে। ভাৰতৰ ভিতৰত অসম একেবাৰে পাছপৰা নহলেও কিছু পাছপৰা। সেইবুলি কিন্তু অসমতে ১৯৫৭ৰ ১লা জানুৱাৰীলৈকে পাঁচ হাজাৰ একৰ অৰ্থাৎ পোন্ধৰ শ বিঘা ভূমি ভূদানত পোৱা হৈছে। ইয়াৰে বিতৰণ হৈছে মাত্ৰ ৪২ একৰ! বিহাৰত এই সময়ৰ ভিতৰত ২১॥ লাখ একৰ দানৰ যোগেদি সংগৃহীত আৰু প্ৰায় দুই লাখ একৰ বিতৰণ কৰা হৈছে।

---

* (১) My mission is 'to create a proper atmosphere for economic reforms—Vinoba Bhave.

ভূমি বিতৰণৰ সময়ত ভূমি বিভাগৰ বিষয়াসকল থাকি নামজাৰিবোৰ লগে লগে কৰি গলে সুবিধা হব। তেনে নামজাৰি কৰোঁতেও দান-গ্ৰহীতা প্ৰকৃত খেতিয়ক হয় নে নহয় পৰীক্ষা কৰাৰ এটা সুবিধা ওলাব। আচল ভূমিহীনে মাটি নাপালে কিন্তু ভূদানৰ মূল উদ্দেশ্যই ব্যৰ্থ হব।

বিতৰণ নোহোৱালৈকে দান কৰা মাটি মালিকৰ দখলতে থাকিব। তেওঁ সেই মাটিৰ ৰখীয়া আৰু পৰিচালকৰ দৰে হব (Trustee)। আচাৰ্য্য বিনোবাজীৰ মতে প্ৰত্যেক ভাৰতীয়ৰ ঘৰখন পাঁচজন পৰিয়ালৰ বুলি ধৰি লৈ তেওঁ (বিনোবাজীয়ে) সেই ঘৰখনৰ ষষ্ঠ পৰিয়াল এজনহৈ মাটিৰ ষষ্ঠ অংশটো বিচাৰে; বিচাৰেও অকল দান হিচাপেই নহয় দাবী হিচাপেও। আচাৰ্য্যৰ মতে এই ষষ্ঠ অংশটো মজলীয়া শ্ৰেণীৰ লোকৰপৰাহে লোৱা হয়– ধনীসকলৰপৰা লবলগীয়া অংশৰ ই পহিলা কিস্তিহে।

কোনো কোনোৱে আকৌ মাটিৰ সলনি পোনেই ধন দিব খোজে। আচাৰ্য্যই তাক নলয়। কাৰণ তেওঁ পুতৌৰ পাত্ৰ হৈ দান ভিক্ষা কৰা নাই। তেওঁৰ ভিক্ষাৰ লগত দাবীৰো জোৰ আছে। অকল ভিক্ষা হলে— ভিক্ষাৰীৰ নিৰ্ব্বাচন কোনেও শুণ্ডনে (Beggars cannot be choosers)। গতিকে বিনোবাজীৰ ভিক্ষা ভিক্ষাও দাবীও। যি দাতাই পঁচাকৈ ধন দিবলৈ বিচাৰে তেওঁ সেই ধনেৰে মাটি কিনি দিব।

আজিৰ দিনত ছোৱালী বিয়া দিবলৈ হলে মাক বাপেকে পোনতে উপযুক্ত দৰা বিচাৰে। তাৰ পিছত বিয়াৰ ঠিক ঠাক হলে বিয়াৰ সময়ত অ-অলঙ্কাৰ দি কন্যাক সজাবলৈ চায়। ভূদানতো প্ৰথমে উপযুক্ত গ্ৰহীতা বা পাত্ৰ অৰ্থাৎ ভূমিহীন উপযুক্ত কৃষক বিচাৰি উলিয়াব লাগে। তাৰ পিছত কন্যাৰ অলঙ্কাৰ-পাতিৰ দৰে গৰু, বীজ, সা-সঁজুলি আদিৰে দানৰ পাত্ৰক সহায় কৰিব লাগে।

হায়দৰাবাদৰ ৰাজ্যিক চৰকাৰে এই বিষয়ত ভাল ভাল নিয়ম-কানুন কেইটামান বেছ থাপখোৱাকৈ সাজি লৈছে। সেই মতে দাতাই দাতব্য ভূমিৰ 'বাজী-নামা' তহচিলদাৰক দাখিল দিয়াৰ লগে লগে তহচিলদাৰে সেই মাটিৰ খাজানা-তাজানা কিবা দেনা আছে নেকি পৰীক্ষা কৰাব। এনে দেনা নাথাকিলে 'বাজী-নামা' গ্ৰহণ কৰে। তেতিয়াৰপৰা মাটি চৰকাৰী হয়। তেতিয়া ভূদান কমিটিয়ে দানৰ পাত্ৰ, ভূমি-বিতৰণৰ কাৰণে

বিচাৰে। বিতৰণ হৈ যোৱাৰ লগে লগে নামজাৰি হয় আৰু দান গ্ৰহণ-কাৰীয়ে দহ বছৰলৈ সেই মাটি বিক্ৰী কৰিব নোৱাৰে। যদি জঙ্গলী জমি হয় তেন্তে দখল লোৱাৰ আৰু খেতি কৰাৰ তিনি বছৰলৈ পট্টাদাৰে খাজানা দিব নালাগে। এনেকুৱা কিছুমান নিয়ম প্ৰত্যেক প্ৰদেশতো আৰম্ভ হৈ পৰিছে। গুৱাহাটী কংগ্ৰেছেও বিনোবাজীৰ ভূদান যজ্ঞৰ উপ-কাৰিতা আৰু সাফল্য স্বীকাৰ কৰিছে।

ভূমি বা সম্পত্তিৰ সমবিতৰণ মানে জুখি আৰু অঙ্ক কৰি সমানে ভাগোৱা বুজিব নালাগে। পঞ্চায়তৰ নীতিমতে যিহকে সমবিতৰণ বিবেচনা কৰা যায় তাকেই সমবিতৰণ বুলি মানিব লাগে। আৰু পাঁচোটা আঙুলি পৃথক হৈ নিজ নিজ শক্তি-সামৰ্থ্য লৈ থাকিও হাতখনৰ শক্তি বঢ়াৰ দৰে প্ৰত্যেক লোকে নিজ নিজ সম্পত্তি ৰাখিও সমাজৰ কাৰণে দান-ধৰ্ম কৰিব লাগে। আকৌ সেইদৰে হাতৰ আঙুলিবোৰ অসমান যদিও কোনোটো এক ইঞ্চি আৰু অন্যকোনোটো এক ফুট নহয়। এনে ধৰণৰ অসমতাপূৰ্ণ সমতাকেই পঞ্চায়ত ধৰ্ম বোলে। কোনো ভা'যেকে যেনেকৈ অন্য ভায়েকক মাকৰ পৰিচৰ্য্যা বা সেৱাত বাধা দিব নোৱাৰে. মাতৃপূজাত যেনেকৈ সকলো সন্তানৰে সমান অধিকাৰ, ভূমাতৃৰ সেৱা বা শস্যোৎপাদনতো কাৰো এক-নীয়া অধিকাৰ নাই। ভূদানৰ ভাব আৰু কাৰ্য্য এনেকুৱাই।

ভূদানে ব্যাপকতা লাভ কৰি কোনো কোনো ঠাইত গ্ৰামদানত পৰি-ণতি লভিছে। গ্ৰামদানত সকলোৰে সুবিধাৰ কাৰণে সৰ্ব্বজনসন্মত পৰিকল্পনা অনুযায়ী কাম কৰিবলৈ সুবিধা হয়। কোনো কেনো লোকৰ প্ৰশ্নৰ উত্তৰত আচাৰ্য্য ভাৱেই কৈছে—'কমিউনিজম' আৰু গ্ৰামদানৰ মাজত মূল পাৰ্থক্য এই যে 'কমিউনিজমে' ভূসম্পত্তি গোনেই চৰকাৰৰ হাতলৈ লৈ যায়, গ্ৰামদানত ভূমিৰ মালিকী স্বত্ব সেই গাঁৱৰ ৰাজ্যৰ হাতত থাকে। তাত চৰকাৰৰ নাম-গোন্ধেই নাই।* (১)

* (১) Communism believes in the nationalisation of land. By one decree all land is owned by the state In Gramdan ownership of land vests in the people of the village. The government of the state does not come into the picture at all—Vinoba Bhave.

ভূদানৰ ভূমি বিতৰণত গোটাচেৰেক নীতি মানি চলা হয় যেনে—

(১) দান-পত্ৰত বা দানৰ হিচাপত আচাৰ্য্য বিনোবাৰ চহী হৈ আহিলেহে ভূমি বিতৰণ হব;

(২) বাৰিষাও ভূমি-বিতৰণ হব পাৰে; কিন্তু পথাৰৰ শস্য দাতাই চপাই নিয়াৰ পিছতহে মাটি কমিটিৰ হাতলৈ আহিব;

(৩) প্ৰথম অৱস্থাত ভূমি-বিতৰণ ৰাজ্যিক কমিটিয়ে কৰিব; স্থানীয় কমিটিয়ে কৰিব নালাগে।

(৪) তত্তাতৈয়াকৈ ভূমি বিতৰণ কৰি কেতিয়াও ভ্ৰমসঙ্কুল নকৰিব; আৰু

(৫) প্ৰকৃত ভূমিহীন খেতিয়কেহে মাটি পাব লাগিব।

ভূদানৰো দুটা অনুষ্ঠান বা দুখন পাখি আছে; সেয়ে হৈছে—সৰ্ব্ব-সেৱা সঙ্ঘ আৰু সৰ্ব্বোদয় সমাজ। প্ৰথমটো বিভিন্ন গঠনমূলক কামৰ সমষ্টি স্বৰূপ আৰু দ্বিতীয়টো ভাব প্ৰচাৰৰ বাহনৰ অনুকূল। প্ৰথমটো কৰ্ম্মময় আৰু দ্বিতীয়টো ভাৱময় জীৱন্ত অনুষ্ঠান। প্ৰথমটোৱে কাৰ্য্যৰ দ্বাৰা আৰু দ্বিতীয়টোৱে স্বাধীন আৰু গভীৰ চিন্তাৰ দ্বাৰা জীৱনৰ প্ৰকৃত দৰ্শন প্ৰতিপন্ন কৰে।

——

ছেটোলমেণ্ট, 'চিলিং', অধিকাৰ আৰু প্ৰজাস্বত্ব আইনৰ আভাস

ছেটোলমেণ্ট—ইংৰাজী 'ছেটোলমেণ্ট' শব্দৰ মূল অৰ্থ বন্দোবস্তি বা নিষ্পত্তি। ব্যৱহাৰত কিন্তু 'ছেটোলমেণ্ট' শব্দ মাটিৰ পট্টন বা ভূমি বন্দোবস্তি বুজাবলৈ খাটি অসমীয়া শব্দৰ দৰে হৈ পৰিছে। টাইম, টেবুল, গ্লাচ, পেঞ্চিল আদিৰ দৰে 'ছেটোলমেণ্ট' শব্দও অসমীয়া ভাষাত আৰু অসমীয়া ৰাইজৰ মুখত জীণ যাবলৈ ওলাইছে। এই ছেটোলমেণ্ট দহ বছৰ, কুৰি বছৰ বা ডেৰ-কুৰি বছৰৰ মূৰে মূৰে হয়। এবাৰ ছেটোলমেণ্ট হৈ যোৱা মাটিক নিৰ্দ্দিষ্ট সময়ৰ মূৰত পুনঃ জুখি মাপি চাই মেপ, পট্টা আদি নতুন কৰা হয়; আৰু সেই কাৰণে আজি-কালিৰ সাধাৰণ অৰ্থত বুজা ছেটোলমেণ্টবোৰ দৰাচলতে 'ৰিছেটোলমেণ্ট' হে। অৱশ্যে 'ৰিছেটোলমেণ্ট'ৰ সময়ত যে মাটিৰ নতুন পট্টন নহয়, এনে নহয়; মাটি সম্পৰ্কে সকলো কাম 'ছেটোলমেণ্ট' বা 'ৰিছেটোলমেণ্ট'ত যতদূৰ সম্ভৱ নিষ্পত্তি কৰা হয়।

'ৰিছেটোলমেণ্ট'ত মণ্ডল-কাননগোৱে পথাৰলৈ গৈ মেপ মতে মিলাই চাই মাটিৰ শ্ৰেণী পৰীক্ষা কৰে আৰু দখল বদলৰ আৱশ্যক হ'লে সেই মতে লিখি আনে; অৰ্থাৎ আগৰ খেতিৰ মাটি যদি যোৱা ছেটোলমেণ্টৰ পৰা এতিয়ালৈকে এই কালছোৱাৰ ভিতৰত বেপাৰৰ ঠাইত বা বাৰীত পৰিণত হৈছে, নতুবা আগৰ বাৰী-মাটি যদি এতিয়া বৰধানতলী হৈছে তেনেহলে তেনেবোৰ পৰিবৰ্ত্তন খাজনা নিৰ্দ্ধাৰণৰ কাৰণে অতি আৱশ্যকীয়; কিয়নো ছনপৰা আহুতলী আৰু নদন বদন বৰধানতলীৰ খাজনা একে হ'ব নোৱাৰে। হ'লে অন্যায় হ'ব। দুডাল কাদি ন তামোল আৰু আগ-ৰবা জাতি-বাঁহ ভূচোপেৰে সৈতে টকলা বাৰীখনৰ খাজনা, কল-নাৰিকল-তামোল-পান আদিৰে ভৰপূৰ বাৰীখনৰ খাজনাৰ সৈতে কেতিয়াও একে হ'ব নোৱাৰে।

শ্ৰেণী পৰীক্ষাৰ দৰে দখল পৰীক্ষাও ছেটোলমেণ্টৰ আৱশ্যকীয় কাম। স্থায়ী দখলত থকা জমিৰ সীমা মেপৰ লগত মিলি থাকিব লাগিব। সেয়ে

নহলে আৱশ্যকমতে মেপৰ সীমাৰ লৰচৰ হব। কাৰণ মেপ পথাৰৰ এটি ক্ষুদ্ৰ প্ৰতিচ্ছবি মাত্ৰ। কিন্তু এনেবোৰ কাৰ্য্য বিধি-বিহিত ভাৱেহে সিদ্ধ হয়; অৰ্থাৎ মণ্ডল-কাননগোৰ অ'চভালৰ ওপৰতে সম্পূৰ্ণকৈ নিৰ্ভৰ নকৰে। গাঁও 'পাছ' কৰা সময়ত ছেটোলমেন্ট অফিচাৰ বা এচিষ্টেণ্ট ছেটোলমেণ্ট অফি-চাৰে এইবোৰ পৰীক্ষা কৰিব লাগে। নহলে কেঁচা পট্টা পোৱাৰ পিছটো পট্টাদাৰ আৰু দখলকাৰসকলে আপত্তি কৰি আবেদন থাকিলে তাৰ নিষ্পত্তি কৰি লব পাৰে। ছেটোলমেন্ট বা জ'ৰীপ চলি থকা সময়ত সাধা-ৰণতে মেপ মতে পট্টাদাৰৰ মাটিৰ সীমা দেখুৱা নহয়, পট্টাদাৰেহে নিজ দখল মণ্ডল কাননগোক দেখুৱাই দিব লাগে। মেপ আৰু পথাৰৰ সীমাৰ কিমান পৰিমাণ অমিল বা গড়মিল থ'কিব পাৰে তাৰ নিবাৰকৰণ আইনত বান্ধি দিয়া আছে। বিভিন্ন শ্ৰেণীৰ ভূমিত সেইমতে বিচাৰ কৰি চাই মেপৰ সীমাৰ কিবা অদল-বদল কৰিব লাগিলে বিধি-বিহিতভাৱে সেই কাম কৰা হয়। নিৰ্দিষ্ট পৰিমাণৰ ভিতৰৰ সীমাৰ ক্ষুদ্ৰ গড়মিল শুধৰোৱা নহয়। ইয়াকে মেপ শুধৰণি বোলে।

ছেটোলমেণ্ট আৰম্ভ হলে খাজনা বাঢ়ে, সেইটো মানুহৰ এটা সাধাৰণ ধাৰণা হৈ পৰিছে। খাজনা বঢ়াটোও অৱশ্যে তেনেই মিছা নহয়। কাৰণ আজিলৈকে যিমানবোৰ ছেটোলমেণ্ট হৈছে তাৰ কোনোটোতে আগৰ খাজনাৰ হাৰ কমা নাই; বাঢ়িছেহে, এই বিৰক্তিকৰ অভিজ্ঞতাৰ বশৱৰ্ত্তী হৈয়ে হবলা, এইবাৰ কামৰূপ ছেটোলমেণ্টত মণ্ডল কাননগোই সীমা দেখুৱাবলৈ কোৱাত কোনো এক গিৰিহঁতে উত্তৰত কৈছিল—"তহঁতৰ চকু নাই নেকি? জুখি নাচাবগৈ কিয়? তহঁতৰ সীমা আমি খান্দি নিছোঁ নেকি?" এই কথা আমাৰ নিজৰেই কাণত পৰিছিল। কিন্তু এইটো ঠিক যে ছেটোল-মেণ্টৰ উপকাৰিতাৰ কথা বুজাই দি ধীৰে সুস্থিৰে কামত অগ্ৰসৰ হলে পূৰ্ব্বৰ অসহযোগিতা আঁতৰি যায়।

ৰাইজৰ সুবিধা-অসুবিধা আৰু খৰচৰ পৰিমাণ বুজি লবৰ কাৰণে ছেটোল-মেণ্টৰ কিছুকাল পূৰ্ব্বে চৰকাৰৰ তৰফৰপৰা বিশেষ ধৰণৰ তদন্তৰ দ্বাৰা—ছেটোলমেণ্ট হব লগীয়া জিলা আৰু অঞ্চলৰ এটা আগ-বতৰা Forecast) যথাবিহিতভাৱে জোৰা হয়। তাতে আয়ৰ সূল দেখিলে বা ৰাইজৰ সুবিধা বাঢ়িব বুলি জানিলে চৰকাৰে ছেটোলমেণ্ট হাতত লয়।

ছেটোলমেণ্টৰ সময়ত প্ৰায় সকলো কাম পথাৰতে শেষ কৰা হয়। গ্ৰাম জৰিপ, বাটোৱাৰা আদিবোৰৰ কাম যথাস্থানত পৰীক্ষা কৰি মেপ-চিঠা শুধৰোৱা হয়। ঘটনা-স্থলত পক্ষৰ সাক্ষাতত সকলো কাম তেওঁলোকৰ পৰামৰ্শত সমাধা হয় কাৰণে এই কামত আসোঁৱাহ কম থাকে। যথাৰ্থতে পৰস্পৰৰ ভিতৰত আলোচনা, মিলন আৰু সম্প্ৰীতিৰ যোগে সকলো বিবাদৰ নিষ্পত্তি সাধন ছেটোলমেণ্টৰ এটা ডাঙৰ সুবিধা আৰু লক্ষ্য। সেইবোৰ চিঠাত লিখিয়ে ছেটোলমেণ্টৰ সময়ত অনেক কঠিন সমস্যাৰো সমাধান কৰা যায়। ধৰি লওক—এগৰাকী বুঢ়ী তিৰোতাই মৃত্যু শয্যাত থাকি তেওঁৰ স্থাৱৰ সম্পত্তিবোৰ তেওঁৰ আত্মীয় কুটুম্ব কেইজনমানৰ ভিতৰত ভগাই দিব খোজে, কাৰণ তেওঁৰ উত্তৰাধিকাৰী নাই। তেওঁ তেতিয়া ৰেজিষ্ট্ৰেচন অফিচলৈ গৈ কষ্ট খাব নালাগে ঘৰতে বহি বাইজৰ সাক্ষাতত এচিষ্টেণ্ট ছেটোলমেণ্ট অফিচাৰৰ আগত মণ্ডলৰ চিঠাত চহী দিলেই সেই কাম সহজে সম্পন্ন হব।

ছেটোলমেণ্টৰ কৰ্ম্মকৰ্ত্তাসকলৰ দায়িত্বজ্ঞানৰ ওপৰত ছেটোলমেণ্ট হোৱা ঠাইৰ ভৱিষ্যৎ বহুতখিনি নিৰ্ভৰ কৰে। নকলেও হব যে কৰ্ম্মচাৰীসকল অসৎ বা কু-প্ৰকৃতিৰ হলে গাঁওখনত মেল-গোচৰৰ বীজ এনেভাবে সিঁচি থৈ যাব পাৰে যে সেই গাঁও শেষত উছন নহৈ নোৱাৰে।

ভূমি সম্পৰ্কীয় বেছিভাগ কাজিয়াকে দখল আৰু স্থান দেখি সহজে নিৰ্ণয় কৰা যায়। সাক্ষী-বাদীৰ ওপৰত নিৰ্ভৰ কৰা অনেক বিচাৰ কেতিয়াবা ভ্ৰমপ্ৰদ হব পাৰে; অকল ভ্ৰমসঙ্কুলেই নহয় তাৰ বাবে বিচাৰক কেতিয়াবা বিপৰীত সিদ্ধান্তত উপনীত হোৱাও আচৰিত নহয়। কিন্তু কাগজ-পত্ৰ চাই স্থানীয় তদন্তৰ অন্তত স্থিৰ কৰা সিদ্ধান্ত সহজে ভুল নহয়। সেই দেখিয়ে হবলা কেতিয়াবা উচ্চ আদালতৰ আপীলত মণ্ডলৰ ৰিপোৰ্টখনেই হাকিম, চাহাব, বৰচাহাব, সকলোকে ওফৰাই দিয়াও দেখা যায়।

ছেটোলমেণ্টৰ স্থানীয় তদন্ত এবাৰ নহয়, দুবাৰ নহয়, পুৰা তিনিবাৰ হয়। ভাৰপ্ৰাপ্ত কৰ্ম্মচাৰীসকলে স্থানলৈ গৈ চাই-চিন্তি-শুনি-বুজি যি সিদ্ধান্ত কৰে তাত ভুল থকাৰ আশঙ্কা কম। সেইবাবে ছেটোলমেণ্টত হৈযোৱা কিছুমান কাৰ্য্যত প্ৰতিবাদ (আপীল) বিধি-নিষিদ্ধ।

"চিলিং এক্ট"—ছেটোলমেণ্টৰ সময়ত ভূমি-সংস্কাৰ সম্পৰ্কীয় অনেক কাম সহজ সাধ্য হয়। উদাহৰণ স্বৰূপে "চিলিং এক্ট"ৰেই কথা কোৱা যাওক। এই "চিলিং এক্ট" বা ভূম্যাধিকাৰৰ সৰ্ব্বোচ্চ পৰিমাণ নিৰ্দ্ধাৰণ আইন ১৯৫৮ চনৰ পোন্ধৰ ফেব্ৰুৱাৰীৰপৰাহে অসমত বলবৎ হৈছে। সেই আইন মতে তলত দিয়া কাৰণবোৰত বাহিৰে অন্য কোনো কাৰণতে কোনো লোকক একান্নৱৰ্ত্তী পৰিয়ালৰ ভিতৰত ১৫০ বিঘাৰ বেছি মাটি পট্টাভুক্ত কৰি ৰাখিবলৈ বা ৰায়ত হিচাপে ভোগ কৰিবলৈ দিয়া নহব:—

(১) কেন্দ্ৰীয় চৰকাৰ বা স্থানীয় চৰকাৰৰ দখলত থকা জমিত এই আইন অচল।

(২) ধৰ্ম্মানুষ্ঠান বা অন্য ৰাজহুৱা অনুষ্ঠানৰ ভূমিৰ মাটিত এই আইন অপ্ৰযোজ্য।

(৩) চাহ-বাগিচা বা তৎসম্পৰ্কীয় কামত সংশ্লিষ্ট থকা জমিত এই আইন নিষিদ্ধ।

(৪) ১৮৫৫ চনৰ পহিলা জানুৱাৰীৰ আগতে আৰম্ভ কৰা একে থাউকতে থকা ডেৰশ বিঘাৰ অধিক ভূমিৰ টেঙাৰ বাগিচাৰ ক্ষেত্ৰত এই আইন বলবৎ নহব।

(৫) কুঁহিয়াৰৰ ফাৰ্ম্ম বা সমবায় কুঁহিয়াৰ খেতি আৰু কুঁহিয়াৰৰ কাৰখানা আদিৰ ক্ষেত্ৰতো এই আইনৰ বান্ধোন অৱস্থা ভেদে শিথিল হব।

(৬) বিস্তৰ অৰ্থ-ব্যয় কৰি স্থাপন কৰা অথবা স্থায়ীভাৱে আৰম্ভ কৰা সুপৰিচালিত ফাৰ্ম্মৰ ক্ষেত্ৰতো ইয়াৰ বান্ধ শিথিল হব।

মুঠ কথা—যৌথ বা একান্নৱৰ্ত্তী পৰিয়ালৰ ভিতৰত ডেৰ শ বিঘাতকৈ বেছি মাটি সাধাৰণতে কাকো ৰাখিবলৈ দিয়া নহব। তেনে পট্টাদাৰ আৰু ৰায়তসকলক, আইন কাৰ্য্যকৰী হোৱাৰ ছমাহৰ ভিতৰতে, অথবা তদূৰ্দ্ধ নিৰ্দ্দিষ্ট কালৰ ভিতৰত, নিৰ্দ্দিষ্ট 'ফাৰমত' নিজৰ নামত বা দখলত ৰাখিব খোজা ডেৰ শ বিঘা মাটিৰ বিবৰণ দিবলৈ সুযোগ দিয়া হৈছে। তেওঁলোকে তাকে নকৰিলে জিলাৰ উপায়ুক্তই নিজে বিচাৰ কৰি তেওঁৰ বিবেচনা মতে এশ পঞ্চাশ বিঘা মাটি তেনে পট্টাদাৰ বা ৰায়তক দিব। বাকী মাটি চৰকাৰী কৰাৰ ব্যৱস্থাও হাতত লব। ১৫০ বিঘা বা তাতকৈ অধিক মাটি থকা লোকৰ কাৰণে আৰু বেছি মাটি কিনি লোৱাতো বাধা আহি পৰিছে; কাৰণ কিনিলেও নামজাৰি নহব।

ছেটেলমেণ্টৰ সময়ত এনেবোৰ মাটিৰ পৃথক ম্যেপ তৈয়াৰ কৰা আৰু আৱশ্যকমতে জমিবোৰ দেখুৱাই দিয়া সহজ হয়।

আধিয়াৰ আৰু প্ৰজাস্বত্ব আইন—

ছেটেলমেণ্টৰ সময়ত আধিয়াৰ আৰু প্ৰজাস্বত্ব আইনৰ ক্ষেত্ৰতো সেই একে ধৰণৰ সুবিধা আহি পৰে। আগৰ দিনত মাটি আধি দিয়া মানেই শস্যৰ আধা ভাগ দখলকাৰৰ আৰু বাকী আধা পট্টাদাৰৰ বুলি বুজা গৈছিল। 'আধা' শব্দৰ পৰাই 'আধি'। আধি-খোৱা নিয়ম অতিশয় পুৰণি আৰু তাহানি বিনিময় প্ৰথাত খাজনা লোৱা কাৰ্য্যৰ স্মৃতিব্যঞ্জক।

১৯৪৮ চনৰ মূল আইন আৰু ১৯৫২, ১৯৫৫ আৰু ১৯১৭ চনৰ সংশোধিত আধিয়াৰ আইনে অসমত আধিয়াৰৰ স্বাৰ্থ সংৰক্ষণৰ কাৰণে কিছুমান নিৰ্দ্দিষ্ট নিয়ম বান্ধি দিছে। আগৰ দিনত ভূস্বামীয়ে ইচ্ছামতে আধিয়াৰক উঠাই দিব পাৰিছিল। আধিয়াৰ আইন কাৰ্য্যকৰী হোৱাত বায়তৰ ঘাইকৈ দুটা বিষয়ত সহায় হ'ল; যেনে, প্ৰথম, নিৰ্দ্দিষ্ট পৰিমাণতকৈ উচ্চ নিৰিখত এতিয়া ভূস্বামীয়ে উৎপন্নৰ অংশ আইনতঃ নিব নোৱাৰে। দ্বিতীয়তে আধিয়াৰক মাটি গিৰীয়ে ইচ্ছামতে উঠাই দিব নোৱাৰে। তলৰ কাৰণবোৰতহে মাত্ৰ মাটিৰ দখল পট্টাদাৰে পাব:—

(১) যদি মাটিৰ গিৰীয়ে আধি দিয়া মাটিত নিজে খেতি কৰিব খোজে তেনেহলে আধিয়াৰৰপৰা মাটিৰ দখল পাব; কিন্তু তাতো লেঠা আছে। কাৰণ, যদি আধিয়াৰৰ দখলৰ মুঠ মাটি দহ বিঘাৰ অধিক নহয় তেনেহলে সেই অঞ্চলত তেওঁক সেই মূল্যৰ মাটি নিদিয়ালৈকে উচ্ছেদ কৰা নাযায়। দ্বিতীয়তে আকৌ যদি আধিয়াৰৰ দখলত দহ বিঘাৰ অধিক মাটি থাকে তেনেহলে দহ বিঘা আধিয়াৰৰ কাৰণে ৰাখি বাকীখিনিৰ পৰিবৰ্ত্তে আধিয়াৰক মাটিৰ গিৰীয়ে সেই পৰিমাণ মূল্যৰ মাটি সেই অঞ্চলত দিলেহে বাকী মাটি মাটিৰ গিৰীয়ে নিজৰ খেতিৰ বাবে লব পাৰিব। এইদৰে আধিয়াৰৰপৰা লোৱা মাটি আৰু পূৰ্ব্বৰ মাটি (নিজৰ বা একান্নবৰ্ত্তী পৰিয়ালৰ নামত থকা মাটি) কিন্তু তেৰশ বিঘাৰ একোপধ্যে বেছি হব নোৱাৰিব। অৱশ্যে মাটিৰ গিৰী যদি নাবালক, অথবা বিধবা, অথবা মানসিক বা শাৰীৰিক ৰোগত বিষমভাৱে কগ্ন, নাইবা ভাৰতীয় সৈন্য বিভাগ, নৌ-বিভাগ বা আকাশী সৈন্য বিভাগৰ লোক হয় তেনেহলে ওপৰত উল্লেখ

কৰা মহবিধা আধিয়াৰৰ কাৰণে ৰথা নিয়ম মানিব নালাগিব। কিন্তু যদি মাটিৰ মালিকে মাটি লৈ এবছৰৰ ভিতৰত খেতি নকৰি পতিত ৰাখে অথবা দখল পোৱাৰ দুবছৰৰ ভিতৰত অন্যক খেতি কৰিবলৈ ভাৰাত দিয়ে, তেনে-হলে উচ্ছেদ হোৱা আধিয়াৰক পুনঃ মাটিৰ দখল দিয়া হব। এই নিয়মবোৰ সঘনে পৰিবৰ্ত্তিত হব লাগিছে আৰু সেই সকলোবোৰ পৰিবৰ্ত্তনৰ মূল উদ্দেশ্য আধিয়াৰৰ স্বাৰ্থ যথাসাধ্য ৰক্ষা কৰা।

পট্টাদাৰৰ প্ৰাপ্য শস্যাংশ সম্বন্ধেও আইনে বান্ধি দিছে যে যদি মাটিৰ গিৰীয়ে আধিয়াৰক হাল-গৰুৰ যোগান দিয়ে, তেনেহলে মাটি-গিৰীয়ে ঘাই উৎপন্ন শস্যৰ চাৰি ভাগৰ এভাগ পাব। যদি হালৰ গৰু মাটি-গিৰীয়ে নিদিয়ে তেনেহলে তেওঁ পাঁচ ভাগৰ এভাগহে পাব। যদি মাটি-গিৰী আৰু আধি-য়াৰৰ ভিতৰত হোৱা কোনো চুক্তিমতে এই হাৰতকৈও কম শস্যাংশ দিব লাগে, তেন্তে সেই চুক্তিমতেহে শস্যাংশ দিব। যদি একে বছৰতে একেডৰা মাটিত কেবাটাও ফচল কৰা হয়, তেন্তে মাটি-গিৰীয়ে মাত্ৰ ঘাই ফচলৰহে অংশ পাব, প্ৰত্যেক ফচলৰ অংশ নাপায়।

এই আইনত শস্যাংশ আদায় কৰাৰ বাবে আধিয়াৰক ৰচিদ দিয়াৰ ব্যৱস্থা কৰা আছে। ৰচিদ নিদিলে মাটি-গিৰীক জৰিমনা কৰাৰ ব্যৱস্থাও আইনত আছে। আইন বলবৎ কৰিবৰ কাৰণে এতিয়া প্ৰত্যেক চাৰ্কোলত 'আধি-চালিচি বোৰ্ড' পতা হৈছে।

এই আটাইবোৰ কামৰ অধিকাংশই নিৰ্ভৰ কৰিব মণ্ডলৰ মেপ-চিঠাৰ ওপৰত। যদি চেটেলমেণ্টৰ সময়ত আধিয়াৰৰ দখল ঠিকমতে মেপত অঁকা থাকে তেনেহলে মাটিৰ গিৰীয়ে বা আধিয়াৰে পিছত আসে মাতিব নোৱাৰে। বিচাৰৰো সুবিধা হব।

প্ৰজাস্বত্ব আইন

প্ৰজাস্বত্ব আইনৰো সেই একে কথা। চৰকাৰে বান্ধি দিয়া নতুন নিয়ম মতে একাধিক বছৰ দখলত থকা ৰায়তৰ দখল এইবাৰ চেটেলমেণ্ট হোৱা ঠাইবোৰৰ মেপ-চিঠাত তোলা হব। তাৰ সহায়ত ভৱিষ্যতে দখলকাৰ আৰু মাটিগিৰী দুয়ো আইনতঃ নিজ নিজ দাবী সাব্যস্ত কৰিব পাৰিব। কিন্তু এনেবোৰ কাৰ্য্যত দোষ-ত্ৰুটী দুয়োফালে কিছু পৰিমাণে পোৱা যায়।

আধিয়াৰ আৰু বায়ত হিচাপে মাটিখোৰা লোকসকলৰ বহুতে নিজ নিজ দখল দেখুৱাবলৈ প্ৰায়েই সাহ নেপায়; কাৰণ তেওঁলোকৰ ভয়—জানোচা দখল দেখুৱাবলৈ গৈ আগৰ খেতি কৰা মাটি ভৰাও হেৰুৱায়। লাগিলে চাওঁতে জানোচা মূললৈও টনাটনি হয়, এয়ে তেওঁলোকৰ আশংকা। কাৰণ মাটিৰ গিৰীয়ে খং কৰি যদি মাটি কাঢ়ি নিয়ে—তেতিয়া? ইফালে দখল সাব্যস্ত কৰিবলৈও আধিয়াৰ বা দখলকাৰী বায়তসকলৰ শতকৰা পঁচানৈৰ ওচৰে বচিদ-পত্ৰ নাই। কাৰণ বচিদ পট্টাদাৰে নিদিয়ে। এনে সমস্যাত ছেটোলমেণ্টৰ কৰ্মচাৰীয়ে স্থানীয় তদন্তৰ ওপৰত নিৰ্ভৰ নকৰিলে নচলে। এনেবোৰ কাৰ্য্য নিয়াৰিকৈ কৰিব পৰাৰ ওপৰতে বহু বাইজ জুয়োপক্ষৰ ভৱিষ্যৎ মঙ্গল নিৰ্ভৰ কৰিছে। আগতে তলতীয়া বায়তৰ প্ৰসঙ্গত এই বিষয়ে আলচ কৰা হৈছে।

ভূমি সংস্কাৰ—

স্বাধীনতাৰ পিছত ভূমি সংস্কাৰৰ কাম সকলোবোৰ ৰাষ্ট্ৰতে চৰকাৰৰ পক্ষৰপৰা যথাসম্ভৱ দ্ৰুতগতিত আগ বাঢ়িব লাগিছে। প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনাতে ভূমি সংস্কাৰৰ যাই লক্ষ্য আছিল :—(১) চৰকাৰ আৰু কৃষকৰ মাজৰ তৃতীয় পক্ষ ব্যৱধান সম্পূৰ্ণৰূপে উঠাই দিয়া;

(২) প্ৰজাস্বত্ব আইনৰ সংস্কাৰ সাধন, যেনে—

(ক) দখল স্বত্বৰ নিৰাপদতা ৰক্ষা;

(খ) ৰেণ্ট বা খাজনাৰ উচিত নিৰিখ নিৰ্দ্ধাৰণ;

(গ) দখলকাৰ বায়তক দখল হস্তান্তৰৰ সুবিধা দান ইত্যাদি।

(৩) মাটিৰ পট্টা আৰু বায়তৰ দখলৰ জমিৰ উচ্চতম পৰিমাণ নিৰ্দ্ধাৰণ (Ceiling) আৰু অতিৰিক্ত জমিৰ অধিগ্ৰহণ আৰু উচিত বিতৰণ।

(৪) কৃষক-বনুৱাৰ অৱস্থাৰ উদগতি সাধন।

(৫) সমবায়ৰ দ্বাৰা গ্ৰামোন্নয়ন।

প্লেনিং কমিচনৰ এনেবোৰ সুচিন্তিত নিৰ্দেশৰ ওপৰত নিৰ্ভৰ কৰি দ্বিতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাত এতিয়া তলৰ কামবোৰ সমাধা কৰিবলৈ চৰকাৰৰ পক্ষৰপৰা যত্ন চলিছে।

(ক) প্ৰজাস্বত্ব সংস্কাৰ (Tenancy Reforms)। এই বিষয়ৰ বিচাৰ কমিটিয়ে প্ৰস্তুত কৰি ১৯৫৩ চনৰ ৩ মাৰ্চ তাৰিখে দাখিল কৰা ৰিপো-

চঁত স্পষ্টকৈ কৈছে যে ভূমিৰ মালিকী স্বত্ব দখলকাৰ শ্ৰমিকলৈ যাব লাগে; উত্তৰাধিকাৰী সূত্ৰে হব নালাগে।

(খ) দখল বা পট্টাৰ জমিৰ উচ্চতম পৰিমাণ নিৰ্দ্ধাৰণ (Ceiling)।

(গ) সমবায়ৰ দ্বাৰা কৃষিৰ উন্নয়ন আৰু ভূমিৰ ক্ষুদ্ৰ বাটোৱাৰা বা খণ্ডীকৰণ নীতি বৰ্জ্জনৰ ব্যৱস্থা অৱলম্বন, আৰু

(ঘ) ভূদানৰ মাজেদি ভূমিনীতিৰ সংস্কাৰ সাধন।

এইদৰে মধ্যস্থ নিষ্কৰ্ম্মা মালিকৰ হাতৰপৰা জমি যাতে গৈ প্ৰকৃত কৃষকৰ হাতত পৰে আৰু তাৰ মাজেদি দেশৰ খেতিবাতিৰ উন্নতি হয় সেয়ে ভূমি সংস্কাৰৰ মূল উদ্দেশ্য। সেই উদ্দেশ্যেই 'চিলিং' আইন, প্ৰজা-স্বত্ব আইন আদিৰ ৰচনা আৰু সঘন সংস্কাৰ হব লাগিছে।

১৯৫৬ চনলৈ স্বাধীনতাৰ পিছৰ এই কালছোৱাৰ ভিতৰত অসম, বোম্বাই, মধ্যপ্ৰদেশ, উৰিষ্যা, মাদ্ৰাজ (মালবাৰ), উত্তৰ প্ৰদেশ, হায়দৰাবাদ, ৰাজস্থান, মহীশূৰ, দিল্লী আৰু হিমাচল—এই এঘাৰখন প্ৰদেশত শস্যাংশৰ এক চতুৰ্থাংশৰ বা এক পঞ্চমাংশৰ বেছি যাতে মাটিৰ গিৰীয়ে দখল-কাৰৰপৰা নিব নোৱাৰে তাৰ বাবে আইন প্ৰণয়ন হল। কাৰ্য্যকৰীও হব লাগিছে। হিমাচল প্ৰদেশত আকৌ আজিকালি দখলকাৰে চৰকাৰী বিধিমতে ইচ্ছামতে ধন অথবা শস্যাংশ মাটিৰ গিৰীক দিব পাৰে। ১৯৫৭ চনৰ সংশোধনী আইন মতে অসমতো সেই নিয়ম বলবৎ হৈছে।

সমবায় খেতিৰ মাজেদি দেশৰ উন্নতি বিধানৰ পৰিকল্পনা চলি আছে। 'চিলিং এক্টৰ জৰীয়তে চৰকাৰে লোৱা ওপৰঞ্চি ভূমিবোৰৰ গৰাখাদ অঞ্চলত সমবায় কৃষি ফাৰ্ম্মৰ পৰিকল্পনা কৰা উৎকৃষ্ট কাম হব। খাদ্য নাটনিৰ লগত ফেৰ মাৰিবলৈ আৰু যুগৰ দাবীৰ চাহিদা যোগাবলৈ আইন প্ৰণয়ন আৰু পৰিকল্পনা অপৰিহাৰ্য্য। এনেবোৰ পৰিবৰ্ত্তন প্ৰগতিৰ পৰিচায়ক আৰু ভবিষ্যৎ কাৰ্য্যৰ আগ-জাননী স্বৰূপ।

---

* The Committee on Tenancy Reform which reported on march 6, 1956 recommended that labour and not inheritance should be the criterion in the determination of ownership of land and thus accepting the principle of "land to the tiller"—India 1957. (P250)

ভূমি আৰু জীৱন

তৃতীয় খণ্ড

হাতীৰ পিঠিত মাটি বিচাৰি

ভূ-সম্পত্তিৰ মোহে মানুহক কি নকৰে? এই মোহ কেতিয়াবা স্বার্থ-জড়িত ব্যক্তিগত কাৰণত ওপজে, আকৌ কেতিয়াবা ওপজে কর্ত্তব্যৰ লগত সংশ্লিষ্ট থকা কামৰ মাজেদি। প্ৰথমটোত মাকৰ মৰম আৰু দ্বিতীয়টোত্ত মাহীমাকৰ মৰম ধৰা পৰে বুলি বহুতে কব পাৰে সঁচা, কিন্তু কোনো কোনো ক্ষেত্ৰত যে মাহীমাকৰ মৰমে মাকৰ মৰমকো চেৰ পেলাব খোজে তাকো অস্বীকাৰ কৰা টান। এই পৰ্য্যায়ত লিখকৰ জীৱনত কর্ত্তব্যৰ মাজেদি মাটিৰ মোহ কেতিয়াবা কেনেকৈ উৎকট হৈ পৰিছিল আৰু সিয়ে সময়ত জীৱন পৰ্য্যন্ত বিপন্ন কৰি তুলিছিল তাৰে সত্য কাহিনী দুই-এটা দাঙি ধৰা হ'ল।

হাতীৰ পিঠিত মাটি বিচাৰি যোৱাৰ দৰে নাওৰ বুকুত দুৰ্দ্দশাগ্ৰস্ত বান-বিধ্বস্ত অঞ্চলৰ লোকক তৰাবলৈ গৈ তাহানি বন্ধুবৰ উপপ্ৰতি সমাহৰ্ত্তা ৺অজয় মেচে কিদৰে প্ৰাণ হেৰুৱালে তাৰ করুণ স্মৃতি আমাৰ বহুতৰে মনত এতিয়াও সজীৱ হৈ আছে। এনেবোৰ কথা শুনি কোনোৱে হয়তো নিজৰ ঢোল নিজে বজোৱা বুলি ভাবিব পাৰে, কিন্তু তাহানি দেশভক্ত ফুকনে কোৱাৰ দৰে তাৰ উত্তৰত কব লাগিব—নিজৰ ডিঙিত আঁৰি লোৱা ঢোলটো ফুটা হলেও, ভগা হলেও, নিজৰ নিমিত্তেই আঁৰি লোৱা হয়। তেনে ঢোল আঁৰি—লওতাই নিজে নবজালে আন কোনে বজাবহি? যাওঁক বাৰু সেইবোৰ! এতিয়া আৰম্ভ কৰা যাওক।

আজি আঠ-ন বছৰ আগৰ কথা। লিখক তেতিয়া বঙিয়া অঞ্চলৰ উপপ্ৰতি সমাহৰ্ত্তা। উপপ্ৰতি সমাহৰ্ত্তা মানে ছবডিপুটী কলেক্টৰ। নতুন পৰিভাষাত ছবডিপুটী কলেক্টৰক সহাহৰ্ত্তা বোলে; সমাহৰ্ত্তা মানে সম্যকভাৱে সকলো আহৰণ কৰি দিওঁতা। পিছে বাট-পথৰ জাবৰ-জোঁথৰ আহৰণ কৰি

পেলাই দিয়া সেই শ্ৰেণীৰ লোকৰ কথা যেন কোনেও এই প্ৰসঙ্গত নানে। সতৰ্ক কৰি দিয়াৰ কাৰণো একেবাৰে নোহোৱা নহয়। কিয়নো; সমাহৰ্ত্তাৰ কামৰ সীমা নাই। মৰা হাতী কবৰ দিয়াৰেপৰা ব্ৰহ্মপুত্ৰত মাছ কমিছে নেকি সন্ধান কৰালৈকে, কাৰবাৰ নামত কোনোবাই টকা ধাৰে লৈ পলোৱা ভগনীয়াৰ ভু-ভটং লোৱাৰেপৰা ব্ৰহ্মপুত্ৰৰ বালিত চালি কৰি থকা ভগনীয়াৰৰ ভিতৰত কিমানগৰাকী সগৰ্ভা তাৰ বতৰা এচেম্ব্লিৰ সভ্যৰ প্ৰশ্নৰ উত্তৰত চৰকাৰক যোগান ধৰালৈকে সকলোবোৰ কাম তেওঁলোকৰ কৰ্ত্তব্যৰ পৰ্য্যায়ত পৰে। 'নকটা খেৰৰ নশ গোট' বোলাৰ দৰে অনিৰ্দ্দিষ্ট কৰ্ত্তব্যৰো পৰিমাণ আৰু সংখ্যা অলেখ। মাটিৰ হাকিম বা সমাহৰ্ত্তাৰো কৰ্ত্তব্য অনিৰ্দ্দিষ্ট। ইপিনে আকৌ সতী দ্ৰৌপদীৰ মালিক পাঁচ গৰাকীহে আছিল, তেওঁলোকৰ কিন্তু তত্তোধিক।

সি যি হওক, বহিয়াত পোনতে গৈ থান-থিতি লৈ মাটি আৰু মানুহৰ লগত চা-চিনাকি হবলৈ নোপাওতেই চৰকাৰী আদেশ গৈ পালে—ভুটান পাহাৰৰ দাঁতি অঞ্চলত প্ৰায় বহু হাজাৰ একৰ মাটি হেনো গৰাবাদ অৱস্থাত আছে; মাজে-মাজে তাৰ পতিত পট্টাহীন জমিও আছে। তাৰ এটি সঠিক সন্ধান শীঘ্ৰে দিব লাগে।

খেতি নকৰাকৈ পেলাই থোৱা মাটি সাধাৰণতে দুই শ্ৰেণীৰ: পতিত আৰু গৰাবাদ। পতিত আৰু গৰাবাদৰ পাৰ্থক্য যাইকৈ এয়ে যে খেতি নকৰাকৈ একেবাৰে এবছৰ বা দুবছৰ যি মাটি পেলাই থোৱা হয় তাক পতিত বোলে। তিনি বছৰ বা ততোধিক কাল বিনা আবাদে পেলাই থোৱা বা পৰিথকা মাটিক গৰাবাদ বোলা হয়।

এতিয়া ভুটান পাহাৰৰ নামনিৰ এই অঞ্চলক তামোলপুৰ অঞ্চল নাম দি তাত পৃথক উপপ্ৰতি সমাহৰ্ত্তা নিয়োগ কৰা হৈছে। তেতিয়া সেইবোৰ অঞ্চল বহিয়াৰে অংশ বিশেষ আছিল।

উক্ত খবৰ সংগ্ৰহ কৰিবৰ কাৰণে ভাৰ পৰিল উপপ্ৰতি সমাহৰ্ত্তাৰ ওপৰত। কাৰ্য্য নিয়াৰিকৈ আৰু নিভুৰ্লকৈ কৰিবৰ বাবে ভগনীয়া সংস্থাপক বিষয়া বা "ৰিফিউজি ৰিহেবিলিটেচন অফিচাৰ" (সংক্ষেপে যাক 'আৰ, আৰ, ও' বুলি জনা যায়) নিযুক্ত হ'ল—শ্ৰীপ্ৰতাপ চন্দ্ৰ গোস্বামী। লগতে এজন নতুন কাননগো। প্ৰতাপ গোসাঁই আগৰ এজন খ্যাতনামা কংগ্ৰেছ

কৰ্মী। চিৰাংখানাত বৰ্থা সজাৰ যেটো সাপ ঢোঁৰা সাপত পৰিণত হোৱাৰ দৰে হৈছে। এতিয়া ৰাজ কৰ্মচাৰী হৈ অন্য দুজন কৰ্মচাৰীৰ দৰেই কাম কৰে। তেওঁ ধৰ্মপুৰ অঞ্চলৰ কৈহাতি সত্ৰৰ গোসাঁই।

তেওঁকো লৈ আমি আটায়ে সেইদিনা কলম্বচে আমেৰিকা আৱিষ্কাৰ কৰিবলৈ যোৱাৰ দৰে মাটি বিচাৰি ওলালোঁ। মই তাৰ আগতে আমাৰ আঞ্চলিক চুপাৰভাইজাৰ কাননগোৰ লগত আলচ কৰি আৰু কাকতপত্ৰ চাই জানিব পাৰিছিলোঁ যে ভুটান পাহাৰৰ নামনিত এই বিস্তীৰ্ণ জঙ্গল-ভূমি অৱস্থিত। ইকৰা, বতা, নল, খাগৰি, খেৰ বন আদিৰে এই ঠাই ভৰপুৰ। মাজে মাজে একোজোপা ঔ, হিডল বা অন্য পাহাৰী গছ। মাজে মাজে বনৰীয়া খৈৰাৰ পুলি দুই এযোটা দেখা যায়। এই সমস্ত অঞ্চল বনৰীয়া হাতীৰ বিহাৰ-ভূমি। হিমালয়ৰ পাদদেশৰ এই বহল ভূমিখণ্ড সদায় বতাহত ঢৌ খেলি থকা সেউজীয়া গছ-লতাৰে আবৃত থাকে। মাজে মাজে ক'ৰবাত দূৰে দূৰে দুই এঘৰ চাওতাল, কছাৰী, গাৰো আদি লোকৰ বসতি। ইয়াৰ বিভিন্ন অঞ্চলক মানুহে বিভিন্ন নামত জানে, যেনে, হৰিণ-চৰা, পাহাৰপুৰ, কাউলী, ডোঙাৰগাওঁ ইত্যাদি। সেই আটাইবোৰ ঠাই ঘাইকৈ কাউলী আৰু ডোঙাৰগাওঁ নামে এতিয়া জনাজাত হৈছে।

আমি আগতে দিনৰ ঠিক কৰি ওলালোঁ। আমি মানে, গোসাঁই, কাননগো দুজন আৰু মই। হাতী ললোঁ তিনিটা। এটাত মই, এটাত প্ৰতাপ গোসাঁই আৰু তৃতীয়টোত কাননগো দুজন। আটায়ে কুমাৰীকাটা এৰি পূবে কাউলীমুৱা হলোঁ। কাউলী নদীৰ নাম অনুসৰি এই বিৰাট অঞ্চলক কাউলী বুলি জনা যায়। সৰু নিজৰাৰ দৰে বহল পৰ্ব্বতীয়া নৈ এখন— নাম মোটেঙ্গা। নৈখনৰ বুকু শিলগুটিৰে ভৰা। খৰালি শুকাই গৈ ই সুঁতা এডালৰ দৰে হয়। ভৰ বাৰিষাও কোনো কোনো ঠাইত ইয়াৰ পানী একঁঠুতকৈ দ নহয়; অথচ সোঁতৰ কোব কি চাবা! দাপৰ নেজ ছিঙা ধাৰে মানুহ ৰগৰাই দিব খোজে। বালিপূৰ্ণ বহল বুকুখন কোনো কোনো ঠাইত আধা ফাৰ্লংমান পথালিয়ে বিয়াপি আছে।

আমি মোটোঙা পাৰ হৈ হাবিত প্ৰৱেশ কৰিলোঁ। বিৰাট হাবিয়নি। কিছুদূৰ যোৱাত আমাৰ পুৰণি কাননগোৱে কবলৈ ধৰিলে যে পাঁচ-ছয় বছৰ আগতে তেনো সেইবোৰ মাটিৰ কিছু অংশ হাজো-বজ্জিয়া অঞ্চলৰ

বানপানী-পীড়িত লোকসকলক দিয়া হৈছিল। পিছে বনৰীয়া হাতী আৰু মেলেৰীয়াৰ ভয় বানপানীৰ ভয়তকৈ চৰা হোৱাত তালৈ মানুহ হয় নাহি-লেই, নহয় যিসকল আহিছিল তেওঁলোকো ঘৰৰ ফালে বানপানী শুকো-ৱাৰ খবৰ পোৱাৰ লগে লগে পুনঃ সদম্মানে উভতিল। এইখিনিতে কৈ থোৱা ভাল যে বাৰিষা নদীবোৰত ধল আহিলেই হাজো-মুকলমূৱা অঞ্চলৰ বানপানী-পীড়িত অনেক কৃষকে টালি-টোপোলা ভাৰ বান্ধি লৈ ৰঙিয়া তামোলপুৰ আলিয়েদি জঙ্গল মাটি থাবলৈ বুলি উত্তৰমূৱা হয় আৰু দিন-চেৰেকৰ পিছতেই পানী শুকালে পুন সেই একে বাটেদিয়ে ঘৰমূৱা হয়।

আমি যিমানে আগ বাঢ়িবলৈ ধৰিলোঁ ক্ৰমে হাবিও সিমানে গহীন হৈ আহিল। বেলিও প্ৰায় মূৰৰ ওপৰ পালেহি। আমি গৈ আছোঁ। তিনি ওটা হাতী হাবিত ভল গৈছে; আমাৰ মূৰবোৰ জঙ্গলৰ সমানে সমানে আছে। কোনো কোনো ঠাইত আমি ওখ হও, কোনো কোনো ঠাইত হাবি ওখ হয়। তেতিয়া আছিল বোধহয় আঘোণ মাহ। হাবিও গজল। দি উঠিছে।

গৈ থাকোঁতে থাকোঁতে দুপৰ হোৱা যেন লাগিল। হাতীৰ পিঠিত আৰোহণকাৰীসকলৰ মুখৰ মাত কমি আহিল। ইফালে ভোকে পেটত আলু-কচু খান্দিবলৈ ধৰিলে। উভতিলেও আবেলি তিনি-চাৰি বজাৰ আগতে মানুহৰ আশ্ৰয় পোৱাহি টান হব। ওপৰত টৌ-টৌৱা ৰ'দ।

হাতীকেইটা শাৰী পাতি লৈ সমানে গৈ আছোঁ—ওচৰা-উচৰিকৈ। মনত বনৰীয়া হাতীলৈ ভয় আছে। মই ৰহস্যৰ ছলেৰে বিফিউজী কাননগো বাহাৰ বাবুক কলো (তেওঁৰ নাম আছিল বাহাৰুদ্দিন। অসমীয়া মানুহ)—"বাহাৰ বাবু, আপুনি ইয়াত অকলে কাম কৰিব লাগিব। আপুনি দেখোন আমাতকৈও নীৰৱ হৈ পৰিছে। কি ধ্যান কৰিছে? কিবা 'প্লেন' ভাবিছেনে মূৰ্ত্তি দেখিয়ে চুক্তি জ্ঞান হেৰুৱাইছে? কওকচোন বাৰু আমাৰ ৰক্ষিণে জঙ্গল অঞ্চলত অনুমান কিমান মাটি হব?"

কাননগোয়ে চকমক্ খাই হাতীৰ পিঠিতে গা জুৰাই লৈ চাৰিওফালে এবাৰ কি কুৰাৰ দৃষ্টি নিক্ষেপ কৰি পছিমমূৱা হৈ কলে—' ছাৰ, এই দক্ষি-ণেদিয়ে তো কমছে কম বহু হাজাৰ বিঘা মানৰ কম নহৰ যেন পাওঁ।"

মই গোসাঁইৰ কালে চালোঁ। দেখিলোঁ তেওঁ জোৰ কৰি হাঁহিটো টিপি বন্ধ কৰি ৰাখিছে—নতুন কাননগোৱে বেয়া পাব বুলিয়ে নিশ্চয়। মই কলোঁ

"হৈছে বাৰু, আপুনি তৰালে। সেইফালে জানো দক্ষিণ? আপুনি দুপৰ হোৱা দেখি নমাজৰ কথা ভাবিছে হব পায়। আকৌ তালৈকে ভাবি চিন্তি চাই কওকচোন সঁচাকৈ দক্ষিণে কিমান মাটি হব?"

এইবাৰ বাহাৰ বাবুই খপ্ কৰে উত্তৰ-দুৱা হৈ কলে, "ছাৰ এতিয়াহে মই দিশৰ উমান পাইছোঁ। দক্ষিণ এই ফালেহে ছাৰ! ছাৰ, এইফালে চাৰি-পাঁচ হাজাৰ বিঘামান নহবনে?" কথা শুনি হাতীৰ মাউতহঁতে হাঁহিবলৈ ধৰিলে। মাউত আছিল দুটা চাওতাল আৰু এটা বৰো মানুহ। সিহঁতক হঁহা দেখি বাহাৰ বাবুৱে পোনেই কলে—"হেই মাউতহঁত, তহঁতে মাটিৰ কথা কি জান, হো? কিয় দাঁত চেলাইচ?" এটা চাওতাল মাউতে পোনেই কলে—"নহয় দে ঐ বাবু, আমি মাটিৰ কথাত হাঁহা নাই দে! কিবাত হাঁহিছোঁ।"

আমাৰ পুৰণি কাননগোৱে কলে—"হেই বাহাৰ, তই পগলাই বকাদি কি কৰ লাগিছ? সেইখন কি দেখা নাই নেকি?" বাহাৰ বাবুই কলে—"দেখিছোঁ বাবু, সেইখন পৰ্ব্বত।" মণ্ডল আৰু কাননগোৱে পুৰণি কাননগোক বাবু বোলে।

মই কলোঁ—"বাহাৰ বাবু, সেইখন পৰ্ব্বত নহয়, সেইখন হিমালয়। এতিয়া কওচোন, আমাৰ দক্ষিণে কিমান মাটি হব?" বাহাৰ বাবুই কথাটো সিমা-নতো ধৰিব নোৱাৰিলে। তেওঁ কলে—"সেইখন ছাৰ, ভুটান পাহাৰহে।" মই কলোঁ—"বাৰু আপোনাৰ মতেই হওক, ভোট, অকা, ডফলা পাহাৰ শ্ৰেণী। এতিয়া মোৰ প্ৰশ্নটোৰ উত্তৰ দিয়কচোন।"

বাহাৰবাবু এইবাৰ আৰু গহীন হ'ল আৰু পূবলৈ ঘূৰি কলে "ছাৰ, মই এতিয়াহে বুজিছোঁ। এই দক্ষিণে কম পক্ষেও আঠ-দহ হাজাৰ বিঘা হব। হাতীৰ মাউতহঁতে আকৌ হাঁহিলে। কাৰণ আৰম্ভৰেপৰা সিহঁতৰ দিশ ভুল হোৱা নাছিল। সিহঁতৰ লগতে এইবাৰ গোসাঁয়েও হাঁহিলে। মই কলোঁ—"আঠ-দহ হাজাৰ বিঘাটো আপুনি আজি নিশ্চয় আওৰাই আহিছে। বাহাৰ বাবুই কলে—"অলপ কম-বেছি হবও পাৰে ছাৰ! জুখিলে ওলাব।" মই কলোঁ—পিছত জুখিব বাৰু, আগতে দিশটো ঠিক কৰক। এইফালে জানো দক্ষিণ?"

বাহাৰ বাবুৰ তেতিয়া ভূগোলৰ জ্ঞান আহিল হবলা। তেওঁ মনে মনে

মুৰৰ ওপৰৰ সূৰ্য্যটোলৈ চাই নিঃসহায়ভাৱে কলে, "ছাৰ মূৰৰ ওপৰত বেলি থাকিলে এনে জঙ্গলী ঠাইত পূব-পশ্চিম ধৰাই টান হৈ পৰে।"

মই কলোঁ "কিয় ? ভূগোল পঢ়িবলে নেকি ? যিবোৰ পৰ্ব্বতক আপুনি হিমালয় বুলি ভুটান বুলিলে সেই ভুটান পাহাৰ আমাৰ কোনফালে থাকে ? কামৰূপৰ উত্তৰ সীমা মনত পেলাওকচোন।" তেতিয়া বাহাৰ বাবুই কলে, "সঁচাকৈ ছাৰ, বেলিটো মূৰৰ ওপৰত উঠি মোক দিশভুল কৰি তুলিছে!"

"আৰ, আৰ ও" গোসাঁয়ে কলে—"বাৰু মূঠে-মাঠে কিমান মাটি হব যেন পায় ?"

বাহাৰ বাবুই পোনেই কলে- "নাই নাই বুলিও আঠ-দহ হাজাৰ বিঘা হব ছাৰ!" মই আকৌ কলোঁ—"ভালকৈ চাই-চিন্তি কওকচোন। আঠ-দহ হাজাৰ বিঘাটো আজি আপুনি ঘৰতে ঠিক কৰি লৈ আহিছে হবলা। সেয়েহে আজি আপোনাৰ হিচাপবোৰ প্ৰত্যেক বাৰতে আঠ-দহ হাজাৰ বিঘা হব লাগিছে!" বাহাৰ বাবুই আকৌ কলে—"ছাৰ কম-বেছি আঠ দহ হাজাৰ বিঘা নহবনে, ছাৰ ?"

গোসাঁয়ে ঘপৰাই মাত দিলে—"আপুনি ঠিক আছে বাহাৰ বাবু! কম-বেছি নিশ্চয় হব। আমাকো সম্প্ৰতি সিমান মাটিহে লাগে। পিছে আপুনি কাম কৰিব পাৰিবনে ইয়াত ?"

বাহাৰ বাবু- কি কাম ছাৰ ?

গোসাঁই- কি কামনো কৰিব খোজে ?

মাউত এটাই কলে—'জঙ্গল চাফ।'

বাহাৰ বাবুই খঙত এক নাই হৈ কলে—'হেই মাউত, ইয়াদ ৰাখি কথা কৰি। হাকিম ওচৰতে আছে, জানিছনে নাই ?"

মাউতে উত্তৰ দিলে—"হামি হাকিমকে নাই বুলছি দে ঐ।"

তেওঁলোকৰ তৰ্কৰ মাজতে মই কলো—"আপুনি ইয়াত বাৰু জৰীপ কৰিব পাৰিব জানো ?"

বাহাৰ বাবু পৰা যাব ছাৰ।

কেনেকৈ ?

টাৰেবে অৱশ্যে টান হব। কেডেষ্ট্ৰেল চাৰ্জ্জ কৰিব লাগিব।

কথা শুনি চাৰ্কোলৰ বুঢ়া কাননগোৱে কলে—"তোৰ আজি যুৰ ঘূৰিছে হব পায়। এই অটব্য অৰণ্যত তই কি কেডেষ্ট্ৰেল চাৰ্ভে কৰিবি? মনে মনে থাক।"

বাহাৰ বাবুই এইবাৰ ভাবিলে হবলা তেওঁক হাকিমসকলে একো নজনা বুলি ধৰি লব। গতিকে তেওঁ আকৌ কলে—"হয় ছাৰ, মই এতিয়াহে অলপ বুজিছোঁ। ইয়াত প্লে'ন টেবুল চাৰ্ভেত বাহিৰে অইন চাৰ্ভে নহব।"

মই নকৈ নোৱাৰিলোঁ—'বাহাৰ বাবু, আপোনাৰ আকেল গুৰুম হৈছে। য'ত চেইন চাৰ্ভে নহয়, তাত জানো প্লেন টেবুল চাৰ্ভে হয়? চাৰ্ভে স্কুলত তাহানি শিকি অহা আটাইবোৰ কথাকেই দেখিছোঁ। আপুনি এতিয়া আও-বাব। হৈছে বাৰু। আপোনাক আমি ৬।৭ দিনৰ কাৰণে এৰি যাম। চাই চিন্তি, ঘূৰিপকি এটা ৰিপোৰ্ট দিব।" "আৰ, আৰ, ও" গোসাঁয়েও তাকেই কলে। কাৰণ তেখেতহে প্ৰকৃততে বাহাৰ বাবুৰ মালিক। আমি সিমানৰপৰাই উভতিলোঁ; কাৰণ তিনিজন মাউতে একে মুখে কলে বুনা (বনৰীয়া) হাতীৰ দল কৰবাত ওচৰতে আছে; এইবোৰ খোজ।"

(২)

তাৰ পিছত ছয়-সাত দিন গ'ল। লাহে লাহে বাৰ-চৈধ্য দিনো অতি-বাহিত হ'ল। তথাপি বাহাৰ বাবুৰ দেখাদেখি নাই। তিনি সপ্তাহৰ মূৰত গুৱাহাটীৰ পৰা "আৰ, আৰ, ও" গোঁসাইয়ে মোলৈ লিখিলে—"বাহাৰ বাবুৰ ৰিপোৰ্টটো আপোনাৰ মন্তব্যেৰে সৈতে পঠাওক। 'স্কীম' কৰিব লাগে।" ইতিমধ্যে অৱশ্যে খোজ-খবৰ কৰি মই জানিব পাৰিছিলোঁ যে বাহাৰ বাবু আমি অহাৰ দুদিনৰ পিছৰপৰাই কাউলীত নাই। ক'লৈ গৈছে কোনেও নাজানে।

গোঁসাইৰ চিঠি পাই বাহাৰ বাবুৰ বিষয়ে ভালকৈয়ে অনুসন্ধান লগালোঁ। থানাৰ "ও, চি"কো কলোঁ। তাৰে তিনি দিনৰ পিছত পঁচিশ দিনৰ দিনা বাহাৰ বাবুই বঙিয়া চাৰ্কোল অফিচত মোক দেখা কৰিলেহি। আগতে বাহাৰ বাবু বঙিয়া চাৰ্কোলৰে মণ্ডল আছিল। ভগনীঙ্গাৰ সংস্থাপনৰ কামত প্ৰমো-চন বিচাৰি সেই বিভাগলৈ গৈছিল। তেওঁ আহি মোক যিদৰে কথাবোৰ কৈছিল—সেই দিশ্যটো আজিও মোৰ মানস-চক্ষুত ভাহি আছে। বাহাৰ বাবুই হাত যোৰকৈ কাতৰ নয়নে মোৰ ওচৰত নাটকীয় ভঙ্গীত কৈছিলহি—

"ছাৰ, আপুনি মোক ৰক্ষা কৰিব লাগে। মোৰ আপুনি প্ৰাণটো ৰক্ষা কৰক ছাৰ! মই এইবাৰ মৰিম। মোক আনে ৰাখিব নোৱাৰে। আপুনি নাৰাখিলে ৰাখোঁতা নাই। মই এইবাৰ আৰু নাবাচোঁ। মই নিগমে মৰিলোঁ ছাৰ!"

এনে উশাহতে ইমানবোৰ কথা কোৱা শুনি মই তেনেই হতভম্ব হলোঁ। ভাবিলোঁ—এওঁৰ নিশ্চয় কিবা বিপদ হৈছে। কৰবাত কিবা দুৰ্ঘটনা ঘটাই আহিছে। মই কলোঁ—"বাহাৰ বাবু, কি হৈছে কওঁক। ৰিপোৰ্ট দিয়াত পলম হোৱা বাবে চাকৰি যায় বুলি ভয় কৰিছে নেকি?"

বাহাৰ বাবুৱে কলে—"নহয় ছাৰ, চাকৰিতকৈও মোৰ প্ৰাণলৈহে ভয় হৈছে।"

—কোনোবাই মাৰিব খুজিছে নেকি? ক'ত কি কৰিছিল?

—নহয় ছাৰ, কথা বিষম। আপোনালোক অহাৰ পিছ দিনাই সেই ঠাইত বুনা (বনৰীয়া) হাতী নামিছে। এপাল হাতী। মই তথাপি মৰণত শৰণ দি গৈছিলোঁ ঠাইবোৰ চাবলৈ। কিন্তু মোটোঙাৰ পাৰত বুনা হাতীৰ খোজ দেখি মোৰ ধাতু উৰি গ'ল। একোটা খোজেই একোটা পাচিৰ সমান। বিশ্বাস কৰক ছাৰ, সেইদিনা ৰাতি সপোনতো মই সেই খোজবোৰ দেখিছিলোঁ।

—আপুনি পিছে হাতী দেখিলেনে নাই?

—নাই ছাৰ, সেই হাতীৰ পাল দেখিলে নিশ্চয় মই থিতাতে মৰিলোঁহেঁতেন।

মোৰ হাঁহি উঠিছিল। কথমপি হাঁহি সম্বৰণ কৰি আকৌ সুধিলোঁ— "এতিয়া আপোনাক কিহৰপৰা ৰক্ষা কৰি লাগে? হাতীতো নেদেখিলেই মাটিও নেদেখিলে। এতিয়া মিছা ৰিপোৰ্টখন দি চাকৰিটো ৰাখি দিলেই হব—নহয় জানো?"

বাহাৰ বাবুৱে কলে—"নহয় ছাৰ। মোক অলপ কবলৈ দিয়ক। গোটেই সঁচা কথা ছাৰ। একোষাৰো মিছা নকওঁ। খোদাই দেখিছে। এই ঘৰৰ তলত আছোঁ। সেই হাতী দেখি আহি মোৰ ঘৰত জ্বৰ উঠিলহি।"

—হাতী ক'ত দেখিলে? খোজহে দেখিছিল বুলিলে!

—হয় ছাৰ। মোৰ খোজ দেখাতেই হাতী দেখাৰ দৰে হ'ল। মই

জৰত আজি তিনি সপ্তাহ ভুগিলোঁ। জৰ এৰে আকৌ উঠে। কাউলীৰ কথা মনত পৰিলেই মোৰ আকৌ গাটো শিয়ঁৰি উঠে আৰু লগে লগে জৰ আহে। জৰতো মই হেনো সেইবোৰকে প্ৰলাপ বকিছিলোঁ। আকৌ বদি মোক কাউলীলৈ পঠায় তেনেহলে মই আৰু নাবাচোঁ। মোৰ জীউটোৰ বধ নলব ছাৰ। বাচি থাকিলে মই খুজি মাগিয়ে খাম। মোৰ ল'ৰা-ছোৱালীবেইটাৰ বধৰ ভাগী নহব ছাৰ। মোক মুকলি কৰিয়ে ৰাখক, কাউলীত কাননগো নাপাতিব। ল'ৰা-তিৰোতা থকা কোনো লোককে তালৈ নপঠাব ছাৰ।

মই হাঁহিলোঁ। ভাবিলোঁ—বাহাৰ বাবুই তৰালে। তথাপি অভয় দান দি তেওঁক বিদায় দিলোঁ, কাৰণ সেই অৱস্থাত তাকে কৰাত বাহিৰে মোৰ আৰু অন্য উপায় নাছিল। মোৰপৰা অভয় পাই তেওঁ কিঞ্চিৎ হাঁহিলে আৰু ঘূৰি গৈ নিজৰ ঠাইত বহিল। এইদৰে বাহাৰ বাবুৰ আৰু কানন-গো হোৱা নহ'ল।

ইয়াৰ পাছত, এখনৰ পিছত এখনকৈ বাহাৰ বাবুৰ ছুটীৰ দৰ্খাস্ত আহি থাকিবলৈ ধৰিলে। দৰ্খাস্তবোৰ পাই পোনতে মোৰ সন্দেহ হৈছিল—নিশ্চয় বাহাৰ বাবুই মোৰ কথাত প্ৰত্যয় মানিব পৰা নাই—; তেওঁ কানন গো হোৱাৰ ভয়তে এইখন খেলা খেলিছে! পিছত দেখিলোঁ সি নহয়। এদিন শুনিবলৈ পালোঁ বাহাৰ বাবু আৰু ইহ সংসাৰত নাই। লেঠাৰি নিছিগা বেমাৰৰ জাউৰিয়ে বাহাৰ বাবুক সংসাৰৰূপী কাউলীৰ পৰা চিৰকাললৈ আঁতৰাই নিলে। এইদৰে বাহাৰ বাবু গ'ল সঁচা, তেওঁৰ কাৰ্য্য-কলাপে কিন্তু মোৰ স্মৃতি-পটত গভীৰ ৰেখা-পাত কৰি গ'ল। তেওঁৰ সৰল কথাবোৰ যেন আজিও মোৰ স্মৃতিৰ কৰ্ণ কুহৰত বাজে! তেওঁৰ ভীতি-কাতৰ ছবিটি যেন আজিও মোৰ মানস চক্ষুত ভাঁহি উঠে!

জীৱনৰ মোহ, চাকৰিৰ মমতা, পদোন্নতিৰ হেঁপাহ—এই আটাইবোৰে বোধহয় মানুহক এইদৰেই ভুকলা কৰে!

মাণিকৰ জানত টুলুঙা নাৱৰ বুকুত

বাৰিষা ধল আহিলে কোনো কোনো চাৰ্কোলৰ একো একোটা অঞ্চল তেনেই প্ৰলয়-পয়োধিত পৰিণত হয়। কামৰূপ জিলাৰ বৰপেটা চাৰ্কোলৰেই দক্ষিণ অঞ্চল তেনেকুৱা। নদীবোৰতো বৃহৎ বানপানী হবৰ কাৰণে বোলে একোটা নিৰ্দ্দিষ্ট বছৰ থাকে। গাঁৱৰ মানুহবোৰৰ ধাৰণা-প্ৰত্যেক দহ বছৰৰ মূৰে মূৰে নৈত একোবাৰ ডাঙৰ ধল আহে। তাকে নৈৰ জোৱাৰ উঠাও বোলে। যৌৱন বুজোৱা ঘূৰন শব্দৰ লগত ইয়াৰ সম্বন্ধ নাথাকিব পাৰে, কিন্তু কাৰ্য্যত দুয়োটা শব্দ একে পৰ্য্যায়ৰ।

১৯৫২ চনৰ কথা। বৰলীয়া, পাগলাদিয়া, পুঠিমাৰী আৰু নোনা এই চাৰিওটা নদী সেইবাৰ একে সময়তে বলিয়া হৈ উঠিছিল। চাৰিওটা নদীৰ উৎপাতত বৰপেটাৰ দক্ষিণ অঞ্চল প্ৰায়ে জুৰুলা হৈ থাকে। সেইবাৰৰ উৎপাত কিন্তু আগতকৈও চৰিছিল।

সেইদিনা বোধহয় শনিবাৰ। সন্ধিয়া গৰকাপ্তানি বিভাগৰ চৰকাৰী আলি-য়েদি চাইকেল মাৰি ঘূৰি আহিছোঁ; ক'তো বানপানীৰ উমঘাম নাই। খাল-পুখুৰীবোৰ অৱশ্যে বৰষুণৰ পানীত উপচি পৰিছে। বৰলীয়া নদীৰ কাণৰ সমান হৈ নাচি-বাগি বৈ আছে। নৈৰ পাৰত নদীৰ সোঁত আৰু উটি অহা গছ-বিৰিখ চোৱা মানুহ ঢেৰ। আকাশ তেতিয়াও ভাৰবীয়া। ওন্দোলাই আছে। কেতিয়া বৰষুণ হয় ইয়ত্তা নাই। কঠোৰ কৰ্ত্তব্য সমাগত বুলি ভাবি অ'মাৰ মন গধুৰ হৈছে যদিও নতুন পানী দেখি মনত আনন্দ নালাগিও থকা নাই।

সেইদিনা ৰাতি স্থানীয় হেৰম্ভ-ঈৰদন্ত ভৱনত ডেকাসকলৰ দ্বাৰা এখন নাটক অভিনীত হৈছিল। ৰাতি সোনকালে খাই-বৈ আমি ভাওনা চাবলৈ গৈছিলোঁ। ভাওনাৰ নাটক বোধহয় 'কুৰুক্ষেত্ৰ' আছিল। ভালকৈ মনত নাই, কিয়নো চকু ভাওনাত থাকিলেও মন আছিল বানপানীৰ চিন্তাত। চাৰ্কোলত বানপানী হলে অকল যে গাওঁ-ভূঁইতে হয়, এনে নহয়, ছৰভিপুটী

কলেক্টৰৰ অন্ধৰতো হয়। গাঁৱৰ মানুহৰ লগতেই তেওঁ। জীউ টোপোলা বান্ধিব লাগে।

পিছে, ভাওনা চাই থাকোঁতেই বাতি প্ৰায় এঘাৰমান বজাত হব্ হব্ কৰি ৰাস্তাৰ ওপৰেদি বৰলীয়াৰ পানী বাগৰি আহি নাট্যশালাৰ প্ৰাঙ্গণত সোমাল। চাই থাকোঁতেই ঘৰৰ ভেটি তল যাবলগীয়া হ'লহি। ভাওনাৰ কুৰুক্ষেত্ৰই দৰ্শকৰ চকুৰ আগতে বাস্তৱ আকাৰ ললে। ভাওনা এৰি মানুহ ঘৰলৈ লৰ দিলে। ভাওনা এনেয়ে বন্ধ হ'ল। কৰ্ণৰ বীৰ-দৰ্পে সেই কথা প্ৰচাৰ কৰিব লগীয়া নহ'ল। চাৰে এঘাৰমান বজাত ঘৰলৈ আহি দেখোঁ ওচৰৰ ঠাইবোৰ পানীৰ তলত। তত্তাতৈয়াকৈ মানুহ পঠিয়াই অফিচৰ কাগজবোৰ ৰক্ষা কৰাৰ ব্যৱস্থা কৰিলোঁ। চাৰি-পাঁচ ঘণ্টাৰ ভিতৰতে ভীষণ বানপানী হ'ল। ৰাতি বাৰ বজাৰপৰা মণ্ডল-কাননগো, মহৰী, কেৰাণী সকলোৱে অফিচৰ কাগজ-পত্ৰ পাৰেমানে চিলিঙাত তুলিলে। ৰাস্তাত পানী এপেট হ'ল। অফিচৰ খিৰিকীৰ তলৰ কাঠ পানীত তল গ'ল। অফিচৰ চোতাল আৰু ঘৰৰ মজিয়াইদি পানীৰ সোঁত পৰিল। কলৰ ভুৰ এখন সাজি লৈ দোকমোকালিতে অফিচ ঘৰটো চাই আহিলোঁগৈ।

তুপৰীয়া টেলিগ্ৰাম কৰি ডেপুটী কমিচনাৰ চাহাবক গাঁও-ভূঁই আৰু অফিচৰ অৱস্থা জনালোঁ। কেৰাণী-মহৰীসকলে কলে "ডি, চি,ৰ আদেশ নহলে অফিচ তো বন্ধ ৰাখিব নোৱাৰি, কি কৰা যায়? হৰদত্ত-বীৰদত্ত ভৱনৰ ওপৰ মহলাতে বহুৱা যাওঁক। যিহেতু আপুনি তাৰ সভাপতি, আমি কাৰো অনুমতিও লব নালাগে।"

কৰ্তব্যজ্ঞান[illegible]ৰাই তেওঁলোকে তেনে কথা কৈছিল নে বিবুধিত পৰিয়ে কৈছিল না[illegible]। মই কলোঁ।—"অফিচ পানীৰ সোঁতে ভাঙি নেপেলোৱালৈকেতো [illegible]আগৰ ঠাইতেই থাকিব। পিছে আপোনালোকে অন্ত ক'তো নবহি মোৰ চ'ৰা ঘৰতে বহিব। অফিচৰ কাম বন্ধ কৰি এতিয়া বান-পানীৰ প্ৰকোপ কত কেনে আৰু সাহায্য কোন ঠাইত কেনেকৈ দিয়া হব ইত্যাদি কথাৰ আৰম্ভ কৰা হব; আৰু দক্ষিণ অঞ্চলৰ মণ্ডলসকলক সেই উদ্দেশ্যে নিজ নিজ ঠাইলৈ পঠোৱা হব। কিন্তু এতিয়া গাঁও ভূঁইৰ খবৰ সংগ্ৰহ কৰা যায় কিদৰে?" এনেকৈ কৈ মই মণ্ডলবোৰ মতাই আনি গাঁৱে-ভূঁয়ে থকা[illegible] নৱটৈ[illegible] [illegible]ক্ষতিৰ প্ৰাথমিক বাৰ্তা আনিবলৈ [illegible]

দিলোঁ। মই নিজেও দক্ষিণৰ ক্ষতিগ্ৰস্ত অঞ্চললৈ যাবলৈ নাও বিচাৰি পঠালোঁ।

বৰ্ডিয়াত তেতিয়া মোৰ সহকাৰী উ. প্ৰ. সমাহৰ্তা আছিল— অনুজপ্ৰতিম শ্ৰীগিৰিজাকুমাৰ দাস। তেখেতৰ লগত আলোচনা কৰি দক্ষিণ অঞ্চল দুভাগ কৰি লৈ তেখেতক এফালে পঠালোঁ— মই এফালে ওলালোঁ।

তেওঁ গ'ল সানেইকুছি, পূৰ্ণ দৈচপৰা আদিৰ ফালে, মই ওলালোঁ ডোবোক, চন্‌মাগুৰি আদিৰ অঞ্চললৈ। তেওঁ সানেইকুছিৰ দুজনমান মুখিয়াল মানুহৰ সহায়ত ওলাল। মই কিন্তু খবৰ কৰিও ভুদিৰলৈ নাও এখনকে নাপালোঁ। বৰ্ডিয়া অঞ্চলত কাৰো নাও নাই। ইফালে বৰ্ডিয়াৰপৰা ডোবোক, চন-মাগুৰি আদি ঠাইবোৰলৈ যাবলৈ সুবিধামতে আলি-পদূলিও নাই। নাৱেৰে নুগলে নচলে। ডোবোকৰ ফালে দুই-একোখন ঘাঁহ কটা নাও আছে, কিন্তু সেই দুৰ্যোগৰ সময়ত কাৰ নাও, কোনে এৰি দিব? কোনেও টকা দিলেও নাও নিদিয়ে। নাওখনেই সকলোৰে জীউ হৈ পৰে।

সেইদিনা সন্ধিয়া গুৱাহাটীৰপৰা এজলাচী হাকিম শ্ৰীযতীন্দ্ৰ হাজৰিকাও গৈ বৰ্ডিয়াত ওলাল। জিলাৰ বৰচাহাবে হেনো বৰ্ডিয়াৰ বিলাই-বিপত্তিৰ বাৰ্ত্তা শুনি তেখেতক পঠাইছিল মোক সহায় কৰিবলৈ। দুয়ো আলচ কৰি ঠিক কৰিলো— পিছদিনা দুয়ো সেই অঞ্চলৰ কাননগোক লগত লৈ বেলৰ আলিয়েদি গৈ থাকি য'তে যাবে নাও পাওঁ ধৰি লম। নহলে কোনেও ইচ্ছাকৰি নাও নিদিয়ে। হুৰ্‌মুৰ্‌ যাত্ৰা যিফৰে বিধাতা। মই প্ৰস্তাব কৰিলোঁ মোৰ ঘৰতেই পুৱা সাত বজাত খিচিৰী-তিচিৰী কিবা অলপ খাই দিয়াটো আগত লৈ আমি সকলোকেইজন ওলাম। হাজৰিকাৰ সম্বন্ধীয়া ভনীয়েক এগৰাকীক বৰ্ডিয়াতে বিয়া দিছিল। গতিকে তেওঁ কলে দুয়ো মোৰ ভাত তেনেকৈ খাই গলে ভনীয়েকক তেওঁ লাজ দিয়া হব। গতিকে তেওঁ ভনী-য়েকৰ ঘৰতেই খাই ওলাব। লাগিলে ঘূৰি আহি ৰাতিৰ সাজ তেওঁ মোৰ ঘৰত খাব।

পুৱা সেইমতে ওলালোঁ। বেলৰ আলিয়েদি গৈ চেঙি গাঁও পোৱাতে আমি এখন নাও পালোঁ। নাওখন আমাক নিবলৈয়ে হেনো চন্‌মাগুৰিৰ পৰা আহিছিল। ঘাঁহ কটা নাও, তেনেই সৰু। মাজুমীয়াৰ মতে পাঁচ-ছয়জন উঠিব পাৰি— আমাৰ মতে নাৱৰীয়া দুজনক বাদ দি বৰ্ধাপি দুজন। নাৱৰীয়াইহঁতৰ কথা মতেই সৰ্বমত শৰণ দি আমি তিনিও উঠিলোঁ; কানন-

গো, হাজৰিকা আৰু মই। নাৱে বুক-বুক লগালে। তাতে নাওখনে আকৌ কাবেদি পানী দিছিল, অৰ্থাৎ কাঠৰ জোৰাইৰে পানী নিৰ্জাৰ নিজৰি আহি নাওখন ভৰি পৰিছিল। কাননগোৱে কলে—"মই নাৱতেই উঠাওঁ বোলা মানুহ। পানীক ভয় নকৰোঁ; কিন্তু ইয়াত আটাই কেইজন মানুহ যাব নোৱাৰি। বাইচাক লৈ চাৰিজনৰ বেছি একেলগে যাব নোৱাৰি। মই ভাবিছো ঘূৰি যিমানদূৰ পাৰোঁ যাওঁ। আপোনালোক নাৱত থাকক। মৌ মড়িয়া-ঝাৰৰ ওচৰত লগালগি হৈ এটা ব্যৱস্থা কৰিম। আৰু এখন নাও আনিলে লম; নহলে আটায়ে ওভোতাই ভাল হব। এই নাৱত বোৱা ঠিক নহব।" নাৱৰীয়াহঁতক তেওঁ কলে "তাতে মাণিকৰ জানৰ ওচৰলৈ নাও নিনিবি।"

সেই মতেই কাম হ'ল। আমি গৈ থাকিলোঁ নাৱত; কাননগো গৈ থাকিল বানপানীৰ মাজত অকাঁপকাঁ বাটেদি। আমাৰ নাওখন বিলৰ ওপৰেদি গ'ল। বিলত চৰি-ধাৰী নথয়। ইফালে পানীৰ সোঁতো অলপ আছে। নাৱৰ ভিতৰলৈ সোমোৱা পানীবোৰ মই এটা কলৰ দোনাৰে অনবৰত পিঁচি গৈছিলোঁ।

হাজৰিকাৰ সদায় সহাস্য বদন। তেওঁ কেৱল কৈ গৈছে "মই হলে সাতুৰিব নাজানো। নাৱৰ অৱস্থা ভাল দেখা নাই!" হাজৰিকা তেতিয়া অবিবাহিত আছিল। তাতে গুৱাহাটী চহৰত তেওঁৰ পদৱী আৰু চেহেৰা দেখি বহুত সম্ভ্ৰান্ত লোকে তেওঁক ধৰিবলৈ জাল পতাৰ গম মই নোপোৱাকৈ নাছিলোঁ, কাৰণ তেওঁ তেতিয়া উজানবজাৰৰ মোৰশ্বশুৰীৰ পাৰৰ মোৰ শহুৰদেউতাহঁতৰ এটা ভাড়া ঘৰতে আছিল। মই নাৱৰীয়াহঁতক ধেমালিৰ সুৰত কলোঁ—"চাবাহে ককাইহঁত, মোৰ কাৰণে বৰকৈ নাভাবিলেও হব, কাৰণ মোৰ পৰিয়াল আৰু লৰা ছোৱালী আছে; কিন্তু এখেত নতুন হাকিম। এখেতৰ কিবা হব লাগিলে বহুতৰে আশা চেদ হব। লগাভগা, আত্মীয়-স্বজন, বন্ধু বান্ধৱ আদিয়েতো কান্দিবই—তেজ মঙহৰ একো সম্বন্ধ নথকাসকলবো কোনোৱে কলেজৰ "কমনৰুমত" বা লাইব্ৰেৰীত", অন্য কোনোৱে বা খিৰীকীৰ মুখত থিয় হৈ চকুলো টুকিব।" হাজৰিকাই হাঁহি হাঁহি কেৱল নহয়, নহয় বুলি গৈ থাকিল।

কিছুদূৰ যোৱাত পানীৰ জোৰাল সোঁত আৰু সাগৰ দৰে বিস্তৃত জলৰাশি দেখি মই সুধিলোঁ—"কাননগোৱে কোৱা মড়িয়াঝাৰ বোলা ঠাইৰ ওচৰ

...হি ... ৰবীয়া ককাইহঁত ?" নাৱৰীয়াই কলে—"নহয় ছাৰ, আমি সেই পি... ...লোঁ। কাননগোৰে কোৱাপিনেহি গলে আপোনালোকে আমাৰ গাঁও চাব নোৱাৰিলেহঁতেন।"

...একো কৰলৈ নৌ পাওঁতেই হাজৰিকাই কলে "তেনেহলে আমি ...ৰে যনা কৰা সেই মাণিকৰ জানৰ ফালেহে আহিলোঁ নেকি?"

...ৰীয়া দুজনে একেমুখে কলে, "হয় ছাৰ, হয়।"

... অলপ খংমুৱা হৈ কলোঁ—"এতিয়াও নাও এভোতাই লোৱা। তোমালোকে সোঁতত নাও এৰি দি আমাক ভৰা নদীত নাও বুৰাই মাৰিব ...জিছা নেকি?"

এজন নাৱৰীয়াই কলে—"একো নহয় দেউতা, ভগবানৰ কৃপাত একো নহয়। আমি আছোঁ।" মই আকৌ কলোঁ—"কথা শুনাহে। নাও ঘূৰাবলৈ কৈছোঁ, ঘূৰাই লোৱা। পানীৰ সোঁত দেখি এতিয়াই আমাৰ ভয় লাগিছে।

নাৱৰীয়াই কলে—"দেউতা, আমি মাণিকৰ জান পাবলৈ এতিয়াও ...লি বাকী। অন্য কোন গাঁৱলৈ যাম ? প্ৰায় আধা মাইলমান গ'লে হে গাঁও পাম। ইফালে আমাক গঙ্গা মায়ে টানিছে। হে মা গঙ্গা, তুমি ৰাখিবা।"

হাজৰিকাৰ কি হৈছিল নাজানো—মোৰ কিন্তু বুকু কঁপি উঠিছিল। নাৱৰ ...ৰ ওপৰত মাত্ৰ দুই আঙুলমানহে ওলাই আছিল। তাতে ফুটা ...। কথা কৈ থকা সময়তো মই পানী সিঁচিয়ে আছিলোঁ। নাৱৰীয়াই "হে মা গঙ্গা, তুমি ৰাখিবা" বোলাত মই কলোঁ "কি গঙ্গা বুলিছাহে? আমি মাণিকৰ জানৰ পিনে আগুৱায়ে আছোঁ নেকি? এইখন যেকোন গঙ্গালাখিয়া নদী হব পায়। আমি কি ঠাই পাইছোঁ? নাও ঘূৰাই লোৱা; ঘূৰাই লোৱা; কথা শুনা। গঙ্গাত যদি আমি স্বৰ্গলৈ যাব নোখোজোঁ।।

নাৱৰীয়াই কলে—"নহয় ছাৰ, নাও ঘূৰাবৰ আমাৰ আৰু কি সাধ্য? মায়ে টানিছে। আমি মাণিকৰ জানৰ পিচেই ওচৰ পালোঁহি। সোঁত বৰ প্ৰবল; নাও ঘূৰাব খুজিলে বুৰিব পাৰে।"

নাৱৰীয়াৰ এই কথা কেইষাৰ আৰাৰে অন্তৰখন যেন তেনেই হেঁপিছে ধৰিলে। দুই চকুৰে ধুঁৱলী-কুঁৱলী দেখিলোঁ। আকাশখনআগুনি দুয়ো চকুৰেহি সিৰ সিৰ ... ওলাল। বিদ্যুৎ শক্ত নাক মনৰ ভিতৰত খাবলৈ

ধৰিলোঁ, কথা একো মুখেদি নোলাল। কেৱল ভাবিলোঁ নাৱৰীয়াৰ লগত এতিয়া খং-বাগ কৰি তৰ্ক কৰাৰ সময় নহয়। যদি সঁচাকৈয়ে লিহিত দুজনেই আমাৰ দুয়োবো যমদূত-কালদূত হব লগা আছিল তেন্তে হব। কোনে বাধা দিব পাৰে? যবলৈ আৰু লৰা-ভিৰোভালে হাতত ধৰি-ধৰলৈ ধৰিলে। আহিবৰ সময়ত হবত দিহা-আৱশ্যা যি আছিলে সহিল। হাজৰিকাক ইংৰাজীতে কলোঁ—"হাজৰিকা, সঁচাকৈয়ে আপোনাক লগত আনি মই বৰ বেজাৰ পালোঁ। তথাপি যাব প্ৰতিজ্ঞাৰ মই আৰু সহ কৰিবই লাগিব। কোনো ৰকমে আপুনি নাওখন টলং-ভটং কৰিলে নিদি একেখিৰে বহি যাব।"

কথাখিনি কৈ মই নাৱৰীয়াক আকৌ সুধিলোঁ—"নাওখন কি কাঠৰহে?" উত্তৰ আহিল—"শাল কাঠৰ, ছাৰ।" মই কলোঁ, "বাৰু ভালেই হৈছে বলা। গলে একেলগে যাম। নাৱো নোপঙে, আমিও নোপঙো, তেনেই মিলি গৈছে।"

হাজৰিকাই কথাটো ভালকৈ বুজিব নোৱাৰি সুধিলে,—"তাৰ মানে?

"তাৰমানে আন একো নহয়, ডুবিলে তলি পাবগৈ। ভয় নকৰিব। আমিতো নিজৰ কাৰণে অহা নাই। তথাপি যদি ভগৱানৰ ইচ্ছা হয় যে আমাৰ কাম হৈ গৈছে তেন্তে আমি যাবই লাগিব। যাম।"

এইদৰে অলপ দূৰ যোৱাৰ লগে লগে দেখিলোঁ। চাৰিওফালৰ পানীবোৰ যেন উধাতু খাই লৰি আহি কৰবাত লগ হব খুজিছে। যেন কেঁচা মঙহ নিদৰ কাৰণে আকাশৰ চিলনীয়েহে চেঁচা লৈছে। নাৱৰীয়াইতে নাও বাবলৈ এৰি দিলে। তেওঁলোকৰ দুয়োৰো মুখত কেৱল—"হে মাই গঙ্গা, হে মাই লুইত; তুমি ৰাখিবা। দোহাই আই মহাবাণীৰ দোহাই। তুমি আমাক ৰাখিবা মাই"- ধ্বনি।

মই মৰণত শৰণ দি কলোঁ।—"এতিয়াও কাম হুপাই নিব নোৱাৰিলে? পাৰা যদি চোৱা।"

—দেউতা, একো নকৰ। মায়ে টানিলে মাত মাতিব নাপায়। মায়ে আমাক টানিছে। মাছে টানি নিয়া বৰণীৰ পুঙাহে যেন আমি এতিয়া। আমি আৰু কি কৰিব পাৰোঁ?"

কথা শুনি আৰু বেছি ভয় লাগিল। দুৰৱপৰা গৰখীয়া কিছুমানে হুৰপায়, চিয়ঁৰি কোৱা কাণত পৰিল—"এই কেইটা ক'ৰ অকৰা ঐ? যম বিচাৰি যোৱা এই কেইটা কোন ঐ? মৰিব্বি মৰিবি, কাৰ চপাই ল।"

. ইফালে প্ৰবল সোঁতে নাওখন বায়ুবেগে উটাই লৈ গ'ল। পানীবোৰ গৈ গ'চাকৈয়ে বাঁহৰ চোপেৰে তৈয়াৰী, ছুটা গড়ৰ দৰে দুই ছেঁপৰ মাজৰ ঠেক ঠাইত লগ হৈ কিযে কোবাল গতিত ওলট-পালট হৈ বৈ গৈছে! পানীৰ একো একোটা পাক-ঘূৰণি যেন চুলি-মেলি ওভট-গোৰে উৰাউল হৈ নৃত্য কৰা দেওধনীৰ নৃত্যহে। ধীৰ স্থিৰ জলৰূপী নাৰায়ণবো যে এনে প্ৰলয়ঙ্কৰী মূৰ্ত্তি থাকিব পাৰে এনে তাণ্ডৱ নৃত্য কেতিয়াবা হব পাৰে তাক অনভিজ্ঞ লোকে অনুমান কৰিব নোৱাৰে।

চকুৰ পচাৰতে আমাৰ নাওখন গৈ নামনিত পৰাৰ দৰে ঠেকেচা খাই জানত পৰিল। একে ঠেকেচাতে যেন বহি গৈ নদীৰ তলি হে পালোঁ—এনেকুৱা লাগিল। নাওখন গৈ কথমপিহে পাৰত বাগৰি পৰি থকা বাঁহুত গচ এজোপাত নালাগিল। মুহূৰ্ত্তৰ ভিতৰতে আমাক সোঁতে প্ৰায় পোৱা মাইলমান বাট টানি ঘূৰাই ঘূৰাই লৈ গ'ল। হাতত ব'ঠা লৈ নাৱৰীয়াইত থিয় হৈয়ে থাকিল। আমি কি ভাবিছিলোঁ, কি কৰিছিলোঁ কব নোৱাৰেঁ।

তাৰ পিছত নাৱৰীয়াই ক'লে, "দেউতাইত আই মা ভগৱতীৰ কৃপাত আমি আজিলৈ বাচিলেঁা। ক্ষমা কৰিব দেউতাসকল! এইবাৰ মাণিকৰ জান এনে হৈ উঠিছে বুলি জনা নাছিলেঁা। আমি নাও এই পিনেদি অনা নাছিলেঁা। এয়ে প্ৰথম।"

মই কলোঁ—"যি হ'ল, হ'ল; এতিয়াও বিপদ কাটি যোৱা নাই। আমাক এতিয়া নি এখন গাঁৱত লগাই দিয়া। সাৱধানে বাই নিবা। নাও পাৰ পোৱাৰ সময়তহে হেনো ডুবে, গতিকে সাৱধান।"

আমি গৈ চনমাওৰি নামে গাঁও পালেঁা। তেতিয়া বোধহয় দিনৰ দুই মান বাজিছিল। ভয়ত ইমানপৰে ভোকপিয়াহ সকলো পাহৰি আছিলোঁ। এতিয়া এনে লাগিল যেন এটোপা চাহ পালেও প্ৰাণটো ৰক্ষা পৰে। তথাপি গাঁওত কাকো চাহ খুজিবলৈ মন নহ'ল। হাজৰিকা মোতকৈ বাজিকুৰীয়া। হৰৰ কথাও; ডেকা ল'ৰা, তাতে আবিয়ৈ। ইমান সময়ে

তেওঁ যেন মোৰ হাতত আৰু মুয়ো যেন নাৱৰীয়াৰ হাতত—"যথা নিযু-ক্তোঽস্মি তথা কৰোমি" হৈ পৰিছিলোঁ।

নাৱৰীয়াহঁতে নিজৰ নিজৰ ঘৰবাৰীবোৰ দেখুৱাবলৈ ধৰিলে। দুখ-দুৰ্গতিৰ কথা কলে। লোকচানৰ হিচাপ দিলে। ওচৰৰ লৰা-বুঢ়া, মতা-মাইকী মানুহে আহি ভৰি পৰিল। সকলোৰে সেই একে কথা "আমাক সোনকালে ধান-চাউল দি সহায় কৰক, দেউতা, নহলে মৰিম। কেঁচা কল সিজাই খাইছোঁ : খাবলৈ একো নাই। চাওক ভাঁহি আৰু কিমান দিন থাকিম ?"

এইদৰে থাকোঁতেই গড়কাপ্তানি বিভাগত কাম কৰা সেই ঠাইৰ মহৰী একজনৰ আমাৰ ওপৰত পুতৌ জন্মিল। তেওঁ আমাক চাহ তুগিলাচ যাচিলে। আমিও আগ্ৰহেৰে খ'ই ওচৰৰে গাঁও ডোবোকালৈ এবাৰ যাবলৈ ওলালোঁ। কাৰণ ডোবোকৰ মানুহৰ দুখ-দুৰ্গতি যিয়ে নহওক—চনমাণ্ডৰিলৈ আহি ডোবোকলৈ নগলে তাৰ মানুহে আমাক সুখ নেৰে। ডোবোকৰ মানুহ কেৱল হাতে-কামেই নহয়, মুখেৰেও কাটন। আমি ডোবোকলৈ যাত্ৰা কৰিলোঁ। ডোবোক ঠাইডোখৰ দ। পিতনিও তাত আছে। ডুমুক বা ডুমুক থকা বাবেই নেকি ঠাইডোখৰৰ নাম ডোবোক!

বাটত শুনিবলৈ পালোঁ যে ডোবোক পোৱাৰ আগতে কেইঘৰমান মানুহৰ ঘৰত আমি বিচাৰি চালে প্ৰায় ৮।১০ হাজাৰ মোন ধান পাম। কথাটো শুনিয়েই মই কলোঁ—"আঠ দহ হাজাৰ মোন ধান আয়তনত কিমান হব, বোধকৰোঁ খবৰ দিওতাসকলৰ আন্দাজ নাই। তথাপি সেই গিৰীকেইঘৰ চাবলৈ বুলি নাও বাখি খোজ কাঢ়ি আগ বাঢ়িলোঁ। প্ৰায় আধা মাইলমান বোকাই পানীয়ে খোজ কাঢ়ি গৈ যিঘৰ মানুহৰ আটা-ইতকৈ বেছি ধান থকা বুলি শুনিছিলোঁ, তাতে ওলালোঁগৈ। গিৰিহঁতৰ অনুমতি লৈ জোতা খুলি গৈ নিজেই ভঁৰাল চালোঁ। দেখিলোঁ ভঁৰালত ধান প্ৰায় পঞ্চাশ মোন মান হব! যিসকল লোকে আপত্তি কৰিছিল মই তেওঁলোকক গৈ চাবলৈ কলোঁ। তেওঁলোকৰ একজনে গৈ চালে আৰু হতাশ হ'ল। তেৱেঁই কলে—"তাত আৰু অন্য কাৰো ভঁৰাল নাচালেও হব।"

গিৰিহঁতে তেতিয়া কলে—"ইয়াতকৈ এয়ে আধেক আছিল। আজি পুৰ মুজ। মোৰ ভঁৰাল পৰীক্ষা কৰাই ধান জমাই সব এয়ে আছিল ইয়াঁৰ

প্ৰতিজ্ঞা। ইমান দিনে ইহঁতৰ দুই-চাৰিজনক যি পাৰোঁ সহায় কৰিছিলোঁ। —আজিৰপৰা তাৰো ভিকাচন ভাগিল।' আমি তেতিয়া তুয়োপক্ষকে সকলো কথা বুজাই দি তুয়োপক্ষৰ ভুল ভাঙি মিলাই দি উভতিলোঁ।

বাটলৈ ওলাই আহি চাওৰিকাই কলে—"বৰুৱা, মই আৰু লৰিব-চৰিব নোৱাৰা হৈ পৰিছোঁ। গা যেনে লাগিছে যবই নোৱাৰোঁ।" তেওঁ বনৰ ওপৰতে বহি পৰিল। মই লাজ-কাজ কাতি কৰি থৈ গিৰিহঁতক ডাব দুটামান আমাক দাম লৈ দিবলৈ অনুৰোধ কৰিলোঁ। গিৰিহঁতে চকীদুখন আথেবেথে অনাই বহিবলৈ দি কলে—"আপোনালোকৰ লৰা-লৰিখন দেখিহে চাহ-জলপান এৰো যাচিবলৈ সাহ নহল। নহলে আমিও অসমীয়া মানুহ, আলহী-অতিথিৰ অভ্যৰ্থনা আমিও জানো।" ইয়াকে কৈ ডাব এথোক পাৰি আনিলে। আমি চাহ দিবলৈ বাধা দিলোঁ। কাৰণ, তেতিয়া প্ৰায় চামিন বাজিছিল। আমি উভতি বহিয়া পাব লাগে। ইফালে ডোবোক চাবলৈ তেতিয়াও বাকী।

ডাবৰ পানী চাওৰিকক পোনতে যাচিলোঁ। তেওঁ কলে—"মোৰ পেট পকাব, নাখাওঁ। আপুনি খাওঁক। মই শুদা পেটে আছোঁ।" কথাটো মোৰ আধা বুজ, আধা সুবুজা যেন লাগিল, কাৰণ শুদা পেটেতো ময়ো আছিলোঁ। তথাপি পোনেই কলোঁ—"পেট পকোৱালৈ ভয় নকৰিব। গৰমৰ দিনৰ মফচলত আপুনি এই এটা মাত্ৰ উৎকৃষ্ট বস্তু পাব। ডাবৰ পানীয়ে কাকো কেতিয়াও অপকাৰ নকৰে। খাওঁক।" তেওঁ খালে। দাম দিব খোজাত গিৰিহঁতে কলে—'অপমান কৰে যিয় দেউতাহঁত! আমিনো ডাব বেচি খোৱা মানুহ নহলেনে? অন্য বস্তু আমাৰ তাত দুখীয়া বুলি দিব কৰি নাথায় : ডাবৰ পানী মাত্ৰ খাইছে। আমি নো ধান বেচিলোঁ। বুলি এতিয়া ডাবৰ পানীও আপোনালোকত বেচিব লাগিলনে?' আমি ধন্যবাদ দি ভামোল একোথন খাই উঠিলোঁ। অন্য বিভাগৰ কৰ্মচাৰী অনেকৰে ঈৰ্ষাপূৰ্ণ অভিমত এই যে গাঁৱত ডাব-নাৰিকল হৰ-ডিপুটীৰ অভ্য-ৰ্থনাৰ এটি প্ৰধান সম্বল। নাৰিকল থকা ঠাইত কথাটো তেনেই মিছাও নহয়!

(৪)

ৰাতিৰে আহি ডোবোক পালোঁ। ঘাত ইফালে সিফালে কিছু পৰ্যবেক্ষণ কৰি বুজিলোঁ 'কৰ্ষিৰ পৰিমাণ যৰ্থেষ্টে হয়।' আমি যোৱা বাম পাই

ভোৰোকৰ শ্ৰীপৰমানন্দ শৰ্মাই আমাক বিচাৰি আহিল আৰু লগ ধৰিলে। আমি তেওঁৰ ঘৰলৈ গলোঁ। যাবৰ ইচ্ছাও আছিল, কাৰণ এইবাৰ নাৱত যাওঁতে হাজৰিকাই এটা বিষয়ত আত্মপ্ৰকাশ নকৰি নোৱাৰিলে। নাৱৰীয়াহঁতে নুবুজিবৰ কাৰণে ইংৰাজীতে তেওঁ মোক কলে—যে সেইদিনা পুৱা তেওঁ জনীয়েকৰ ঘৰত একো খাই যোৱা নাছিল। শুদাপেটে সাধাৰণভাৱে চাহ অলপ খায়ে ওলাইছিল। কিয়নো তেওঁৰ জনীয়েকহঁত উঠোঁতেই পুৱা সাত বাজিছিল। মই শুনি বৰ দুখ পাই কৈছিলোঁ যে তেওঁ লাজ নকৰি মোৰ ঘৰতে কিবাকিবি অলপ খাই লোৱা উচিত আছিল। এনে অৱস্থাত শ্ৰীপৰমানন্দ শৰ্মাই ঘৰলৈ মতাত ভালেই পালোঁ আৰু হাজৰিকাৰ ভোকৰ কথা অনুমান কৰি ধেমালিৰ সুৰত কলোঁ—"শৰ্মা, কিন্তু শুদা চাহ দিলে নহব। শুদা চাহে পেট পকায়। খাবলৈ কি আছে উলিয়াই আনক। আমাৰ আজিৰ দিনটো তেনেই বান-পানীৰ পানী জুখি ফুৰোঁতেই গৈছে। নিজৰ ভু লবলৈকে আহৰি পোৱা নাই।

শৰ্মাই আধাঘণ্টামানৰ ভিতৰতে আমাক তপত পিঠা আৰু জিলাপিৰে চাহ দিলে। আমিও তাকে ভোক পলাই খালোঁ।

তেতিয়া প্ৰায় চকা পাতত বহোঁ বহোঁ। মই কলোঁ—"আমি এতিয়া শীঘ্ৰে যাওঁ। পাৰে যদি আমাক অন্য এখন অলপ ডাঙৰ নাও যোগাৰ কৰি দিয়ক আৰু আগবঢ়াই থৈ আহক।" শৰ্মাই পোনেই কলে—আপুনি কলেও মই এই কাল সন্ধিয়া মাণিকৰ জানেদি যাবলৈ আপোনালোকক এৰি নিদিও ছাৰ। মই এই ঠাইৰ মানুহ; মই ঘাট-বাট সকলো জানো। সিদিনা মাত্ৰ ৩।৪ খন নাও তাত ডুবিছে। মানুহো দুজন মৰিল। আজি আপোনালোকে এই গৰীবৰ ঘৰতে হেলা নকৰি এমুঠি শুদাই-লিকাই খাই বৈ শুই থাকক। কাইলৈ আপোনালোকক আমি সকলোৱে দিহা-পোহা কৰি ইচ্ছাদৰবীয়াৰ কাৰেদি পাৰ কৰি দিম। পি-ডব্লিউ-ডিৰ ৰাস্তাটোত ৰাইজে ধৰি নাওখন টানি পাৰ কৰি দিলেই চলিব। আপোনালোক আৰু মাণিকৰ জানেদি যাব নালাগে। জীয়া যমৰ লগত খেলা-কৰা ঠিক নহয়। আপোনালোকৰ জীৱনৰ মূল্য আছে।" মাণিকৰ জানৰ হাত সাৰিম বুলি জানি আমিও সকাহ পোৱা যেন পালোঁ। দিকদিগ নকৰি ৰাতি তেওঁৰ ঘৰতে থাকিবলৈ ললোঁ।

সন্ধিয়া সাত-আঠমান বজাত গৰু-গাই বান্ধি উঠি গাঁৱৰ মানুহবোৰ আহি ভৰি পৰিল। আমি হাত-ভৰি ধুই দুয়ো দুখন আওজা চকীত বহি বাইজৰ লগত কথা পাতি আছোঁ। পানীৰ কথানো আৰু কিমান পাতিম? মই কলোঁ—"শৰ্ম্মা, আপোনালোকৰ ইয়াত কোনেও সুৰ লগাই পুথি পঢ়িব নাজানেনে? যদি জানে মাতক, আমি সকলোৱে পুথিকে শুনো। এনে ৰতৰত, বিপদ-আপদৰ সময়ত, মানুহে ঈশ্বৰৰ নাম লোৱা ভাল।" গাঁৱৰ মানুহবোৰে মোৰ প্ৰস্তাৱটোতে হয়ভৰ দিলে। শৰ্ম্মাই তেওঁৰ ওচৰতে থকা শ্ৰীমুক্তাৰাম শালৈ নামৰ মানুহ এজনক মাতি আনি কলে—"হে ঐ মুক্তা, আজি হাকিমসকলক তই পুথি পঢ়িয়ে শুনো দে।" মুক্তাৰামে পোনতে অলপ নম্ৰভাৱে কেৰজেৰ কৰি উঠি মহাভাৰতখন শৰ্ম্মাৰ ঘৰৰ পৰায়ে আনি বিৰ্বাট পৰ্ব্বতে আৰম্ভ কৰিলে। আমি শুনিবলৈ ললোঁ। মানুহে চোতাল ভৰি পৰিল। ব্যাখ্যা কৰাই ব্যাখ্যা কৰিবলৈ ধৰিলে; মুক্তাৰ লগত ৰাগ ধৰাই ৰাগ ধৰিলে। শুনি বৰ ভাল লাগিল। ময়ো তাতে সেওৰ মূৰত চাপৰি বজাই মাজে মাজে পুথিৰ অৰ্থবোৰ ভাঙি কবলৈ ধৰিলোঁ। এজন সমজুৱাই এটি চুকৰ পৰা মাত দিলে—'হাকিমেও আমাৰ অসমীয়া কথা জানে!"

এইদৰে ৰাতি প্ৰায় এঘাৰ মান বাজিল। বাইজৰ অনুমতি লৈ আমি খোৱা-বোৱা কৰি আকৌ বহিলোঁহি। ভাগৱত শুবলৈ ইচ্ছা গৈছে, কিন্তু বাইজক পাছ দি এৰি যাবও নোৱাৰোঁ। চাওতে চাওতে ৰাতি দোভাগ হ'ল। আমি দেখিলো সেইদৰে থাকিলে ৰাতি অনায়াসে পুৱাবগৈ। তেতিয়া আমি বাইজসকলক ঘৰলৈ যাবলৈ অনুৰোধ কৰি বিশ্ৰাম লবলৈ ইচ্ছা প্ৰকাশ কৰাত বাইজ ঘৰাঘৰি গ'ল।

পিছদিনা শ্ৰীপৰমানন্দ শৰ্ম্মাৰ উপদেশ মতেই আহি বঢ়িয়া পালোঁহি। বঢ়িয়া পাই ঘৰ সোমাইছোঁহে এনেতে পৰিয়াৰে কান্দিবলৈ ধৰিলে। ভাবিলোঁ নিশ্চয় কিবা দুৰ্ঘটনা ঘটিছে। তাতে বঢ়িয়া অঞ্চলত চোৰৰ উপদ্ৰৱ বেছি। সুধিলোঁ—"কিবা চোৰ-ডোৰ আহিছিল নেকি? কি হ'ল?"

"কালিগো সন্ধিয়া আপোনালোক আহিলনে খবৰ লবলৈ আহিছিল। তেওঁ কলে—"হাকিমক মই বিপদত কোনোদিন এৰি থকা নাছিলোঁ। আজি নাও লৰ দেখি লগত নগৈ ডাঙৰ ভুল কৰিলোঁ।" দুই আঙুলিয়াইছে বা

ক'ত ঘূৰাই লৈ ফুৰিছে ! মাণিকৰ জানলৈ নগলেই বক্ষা।''—কথা শুনি আমি সকলোৱে চকুলো মচিছিলোঁ। তেওঁ মাণিকৰ জানৰ কথা আমাক কৈছিল ?''

এনেতে ল'ৰাছোৱালীবোৰেও মোৰ মাত শুনি চাৰিওকালৰপৰা লৰি আহি মোক আগুৰি ধৰিলে। পত্নীয়ে কলে ''এতিয়াও সময় আছে। এই চাকৰি এৰি দিয়ক। কৰবাত প্ৰাইভেট কলেজতে সোমাওক। এনে চাকৰি কৰিব নালাগে।'' মই কলোঁ। প্ৰাণ লৈ আহিছোঁ যেতিয়া—সম্প্ৰতি সেই-বোৰ এৰা। মই নমৰিলে আন কোনোবা মৰিব লাগিব। গা ধুবলৈ পানী দিয়া।''

আমাৰ চাৰি-পাঁচ বছৰীয়া পুত্ৰ সে'ণে ম'কক সুধিলে —''দেউতাই সঁচাকৈ চাকৰি এৰি দিব নেকি মা ? আমি তেতিয়া ক'লৈ যাম ? কেনেকৈ থাম ?''

মই কলোঁ—''শুনা, তোমাৰ প্ৰশ্নৰ উত্তৰ সোণে দিছে, শুনা। সমস্যা সি বুজে আৰু মই বুজোঁ; তুমি নুবুজা।''

তেওঁৰ মনৰ বোজা পাতলাবলৈ মই কলোঁ।—''বিপদ-বিঘিনি ক'ত নাই, হয় ? শিং গধুৰ বুলি ভয় খাই ম'হ পলাব পাৰে জানো ?''

— —

ইঞ্জিনিয়াৰিং কলেজৰ স্থান নিৰূপণ

তেতিয়া কামৰূপ জিলাৰ ডি. চি. বা উপায়ুক্ত আছিল শ্ৰী বি. চি. কাপুৰ: সম্পূৰ্ণ নাম শ্ৰীবলবীৰ চাঁদ কাপুৰ। তলতীয়া কৰ্মচাৰীক আৰম্ভকমতে ‘ক্ষণে ৰুষ্ট, ক্ষণে তুষ্ট’ হৈ তিতা, মিঠা দুয়োপ্ৰকাৰ ব্যৱহাৰ দেখুৱাত তেখেত সুনিপুণ আছিল। এটা কিন্তু মন কৰিবলগীয়া কথা এই যে অন্যই তেওঁৰ কৰ্মচাৰীক অনাহকত নিন্দা বা আক্ৰমণ কৰিব যিবা কলে তেওঁ তৎক্ষণাত মুখ পাতি ধৰিছিল। নিজৰ মত সহজে এৰি নিদিয়া বিষয়াসকলৰ ভিতৰত তেখেত আছিল অন্যতম। ‘সাত ভাবস্ত’ ঘূৰি আহি তেওঁ পুনৰ নিজৰ মতকে সমৰ্থন কৰিব যে কৰিবই।

১৯৫৫ চনত প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সময়ত কাম কৰোঁতে মোৰ লগতে যুটীয়াভাৱে থাকি মোৰ নিৰ্দ্দেশত কাম কৰি থকা এজনা উচ্চপদস্থ কৰ্ম্মচাৰীৰ কামত যিবা এফেৰি আসোঁৱাহ হৈ গৈছিল। তাতে ৰাইজে কাপুৰ চাহাবৰ আগত গোচৰ দিয়াত তেখেত এদিন আবেলি কাম চাবলৈ গ'ল। তেখেতে আপত্তিবোৰ ৰাইজৰপৰা শুনি লৈ নিজে চোৱা-চিন্তা কৰিলে আৰু কৰ্মচাৰীজনক ডাক-বঙলালৈ মাতি নি খৰকৈ বকিলে। বাহিৰলৈ ওলাই আহিও সন্ধিয়া এখন ৰাজহুৱা সভা পাতিবলৈ স্থানীয় মুখিয়াল লোকসকলক কলে। কৰ্ম্মচাৰীজনে এইবোৰ দেখি মোক কলেহি, “আজি বোধহয় কাপুৰ চাহাবে মোক সভাত প্ৰকাশ্যে নিন্দা কৰিব। মই জানো সেই সভাত থকা ভাল হব? উপস্থিত থাকিলে মই আত্মপক্ষ সমৰ্থন কৰিমেই আৰু তেতিয়া হয়তো তেখেতৰ অপ্ৰিয় কথা মোৰ মুখেৰে ওলাব পাৰে। সেইটো মই ভাল পোৱা নাই। মই এই সভাত থাকিব নোখোজো। আপুনি কি কয়?” মই কলোঁ।—“থাকক চোন বাৰু? তেওঁনো কিয় বেয়াকৈ কব? তিতকৰাকৈ আপোনাক কোৱা কথা এৰক। তথাপি যদি বেয়াকৈ কিবা কয় মই তাৰ উত্তৰ দিম। মই ইঙ্গিত নিদিয়ালৈকে আপুনি একো নামাতিব।”

যথাসময়ত সভা বহিল। মানুহ ভৰি পৰিল। একেই বিপদৰ সময়, তাতে জিলাৰ স্বয়ং জিলাধিপতিয়ে নিমন্ত্ৰণ কৰিছে। সভাৰ মাজত গোনেই সভাৰ উদ্দেশ্য কোৱাৰ সুৰত কাপুৰ চাহাবে যি বক্তৃতা আৰম্ভ কৰি দিলে আমি শুনি তেনেই স্তব্ধ হলোঁ। তেখেতে কলে —"মই'গোৱালোকে আলোচনা কৰোঁতে এইটো নাপাহৰিব যে মোৰ অফিচাৰসকল আৰু মযো মানুহ। তেওঁলোকৰ কৰ্ত্তব্যৰ সময় বন্ধা আছে। স্কুল-কলেজৰ শিক্ষকৰ দৰে চাৰিঘণ্টীয়া বন্ধ তেওঁলোকে নাপায়! তেওঁলোকে দিন-ৰাতিৰ ভেদাভেদ নোহোৱাকৈ কামত খাটিব লাগে বুলিও ক'তো লিখা নাই। তথাপি আপোনালোকে দেখিছে—দিনে-নিশাই, উজাগৰে-অনাহাৰে থাকিও তেওঁলোকে আপোনালোকৰ কেনেকৈ শুশ্ৰূষা কৰিব লাগিছে। কোনো মুহূৰ্ত্তত ওজৰ-আপত্তি কৰা নাই; কোনো সময়ত 'নাই নোৱাৰোঁ' বোলা নাই। এনে স্থলত অবিৰামভাৱে কাম কৰি যাওতে যদি কিবা ক্ৰটী-বিচ্যুতিও হয় সেইবোৰ জানো আপোনালোকে ধৰি লোৱা উচিত? একেজন লোকে আটাইকে কেনেকৈ তুষ্ট কৰিব পাৰে? তেওঁলোক যদি গুচি যায় বা ৰোগাক্ৰান্ত হয় তেতিয়া কোন মানুহে আহি এই কাম চলাব? মই ডি চি হিচাপে অভিজ্ঞতাৰপৰা কব পাৰো যে তেওঁলোক দুজনলোকে আজি ছয় দিনৰ ভিতৰত যি কাম কৰিছে, সেই কাম সাধাৰণ অৱস্থাত চাৰিজন লোকে আনকি ছমাহতো শেষ কৰিব নোৱাৰিব। হাবি কাটি, মাটি খুন্দি, খণ্ড খণ্ডকৈ ভগাই দিয়াৰেপৰা যান-বাহনৰ যা-যোগাৰ কৰি মানুহক বস্তু-বাহানিৰে সৈতে নি খোৱা-বোৱাৰ ব্যৱস্থা কৰি দিয়া, বস্ত্ৰ, চিকিৎসা আদিৰ যোগান ধৰা আদি সকলো কাম তেওঁলোকৰ ওপৰতে জাপি দিয়া হৈছে। তেওঁলোকে যথাসাধ্য সেইবোৰ কৰিছে। এনে স্থলত আপোনালোকে তেওঁলোকৰ কামৰ অকণো প্ৰশংসা নকৰি কেৱল নিন্দা কৰিবলৈ যোৱাটো জানো সমীচীন হৈছে? ইত্যাদি"

ৰৰচাহাবৰ এনেকুৱা বক্তৃতাত সকলো সমজুৱা তুষ্ট হ'ল। দুজনমানে নিজৰ দোষ স্বীকাৰ কৰি বক্তৃতাও দিলে। কাপুৰ চাহাব আছিল এনেকুৱা প্ৰকৃতিৰ লোক। পিছে সতী সীতাৰ জীৱনতো অগ্নিপৰীক্ষা আছে আৰু এনেবোৰ কাৰ্য্যদক্ষ অফিচাৰো কেতিয়াবা অশোভন অৱস্থাৰ সন্মুখীন হব লগীয়া হয়, তাৰে এটা উদাহৰণ দিওঁ।

১৯৫৫ চনৰ কথা। মই তেতিয়া গুৱাহাটী চাৰ্কোলৰ উঃ প্ৰঃ সমাহৰ্তা বোধহয় মাৰ্চ্চ মাহৰ তৃতীয় সপ্তাহমানত খবৰ পোৱা গ'ল ভূমি-মন্ত্ৰী মহোদয়ে সেই মাহৰ ভিতৰতে নিজে ইঞ্জিনিয়াৰিং কলেজৰ কাৰণে মাটি চাব আৰু স্থান নিৰূপন কৰিব। ৰেভিনিউ-মিনিষ্টাৰক ৰাজহ মন্ত্ৰী বোলাতকৈও ভূমি মন্ত্ৰী বোলাহে সমীচীন হব যেন পাওঁ। কাৰণ ৰাজহতকৈও ভূমি সম্পৰ্কেহে তেখেতে বেছি চিন্তা কৰিব লাগে। সি যি হওক খবৰটোত বিতং একো নথকা হেতুকে মন্ত্ৰী মহোদয়ে ক'ত মাটি চাব, কি ধৰণৰ মাটি চাব, কিমান মাটি লাগিব এনেবোৰ কথাৰ শুংসূত্ৰ আমি কোনেও নাপালোঁ। চিন্তিত হৈ মই ৰবচাহাবক পোনাত তেখেতে সমস্যা সহজ কৰি কৈ থলে—'য'তে চায় দেখুৱাবা। মণ্ডল-কানন-গো আৰু কাকত-পত্ৰ ঠিক ঠাক ৰাখিবা।" এতিয়া কোন ঠাইৰ মণ্ডলক কম, কি কাকত আনিবলৈ কম, কোন গাঁৱৰ কাকত-পত্ৰ ঠিক-ঠাক ৰাখিবলৈ কম আদি কথাৰ উৱাদিহ নাপাই মই পুনঃ তেখেতক জনা নজনা ভাও ধৰি কলোঁ।— 'সম্ভৱ জালুকবাৰীৰ ফালে চাব?' তেখেতৰ উত্তৰ আহিল—"হব পাৰে; ময়ো বেছি একো নাজানো। তুমি আগে আটাইবোৰ ঠাই চাই লোৱা আৰু মোকো ইতিমধ্যে দেখুৱাবা।"

মই নিৰুপায় হলোঁ। মনতে ভাবিলো মাটিত আঁক টানি মঙ্গল চোৱাত বাহিৰে দেখোন আৰু অইন উপায় নাই। কিয়নো ইমান কম সময়ৰ ভিতৰত চাইকেলেৰে ঘূৰি সমগ্ৰ গুৱাহাটীৰ চতুৰ্দিশৰ আটাইবোৰ ঠাই চোৱা সম্ভৱ নহয়। ভাবি-গুণি জালুকবাৰীৰ মাটিবোৰকেই এবাৰ ভালকৈ চাই আহিলোঁগৈ। ৰবচাহাবকো নি সেইবোৰকে দেখুৱালোঁ। এইদৰেই যথা-সাধ্য সাজু হলোঁ।

সম্ভৱ সেইদিনা আছিল মাৰ্চ্চ মাহৰ চব্বিশ তাৰিখ। সেইদিনা সন্ধিয়া তাৰৰ খবৰ পোৱা গ'ল চাব্বিশ তাৰিখ শনিবাৰে ভাটিবেলা মন্ত্ৰী ডাঙৰীয়াই মাটি চাব। মই ততালিকে জালুকবাৰী অঞ্চলৰ মণ্ডল শ্ৰীধৰ্মেশ্বৰ দাসক মতাই আনি কাগজ-পত্ৰবোৰ পৰীক্ষা কৰি চালোঁ। ঠাইবোৰ মেপৰ লগত মিলাই আকৌ এবাৰ চাই আহিলোগৈ। কাননগো শ্ৰীকাশীনাথ পাটোৱাৰীকো ঠিকমতে সাজু থাকিবলৈ উপদেশ দিলোঁ। শনিবাৰ বুলি তেওঁ মুখৰ ভিতৰত কিবা একাধাৰ কৰ খুজিছিল হবলা, এনেতে মই কথাটো পাক কৰিবৰ

কাৰণে কলোঁ—' সিবোৰ একো নহয়, শনিবাৰ সকলোৰে কাৰণে শনিবাৰ। শনিবাৰৰ আনন্দ বা কষ্ট সকলোৰে কাৰণে একে ধৰণৰ হয়।" তেওঁ তপ-ৰাই উত্তৰ দিলে—"অ হয়, ছাৰ হয়।" এইদৰে আমি তপতিয়াৰ হৈ থাকিলোঁ। হক।

ছাব্বিশ মার্চ শনিবাৰে দুপৰীয়া চাৰ্কিট হাউচ'ত সাজু হৈ বৈ থাকোঁ-তেই এক, দুইকৈ তিনি বাজিল। তেতিয়া ৰাজহ মন্ত্ৰী বৰা ডাঙৰীয়াই 'ছৰভিপুটী' ক'ত বুলি মোক ওচৰলৈ মাতি নি সুধিলে—"মাটি আমি আজি এতিয়াই চামগৈ, ক'ত ক'ত আছে?" মই কলোঁ—"কোন দিশত ক'ত চায় সেইটো কলেই হয়, চাৰিওফালে আছে।" তেখেতৰ গুৱাহাটী-থন আৰু তাৰ ওচৰৰ মাটিবোৰৰ বিষয়ে ভাল জ্ঞান আছে। তেখেতে পোনেই কলে—"উত্তৰে ক'ত আছে?" মই কলোঁ—"ভেটেৰিনেৰি কলে-জৰ কাৰণে আমি সিদিনা মাটি বিচাৰি উত্তৰ গুৱাহাটীলৈও গৈছিলোঁ।" মন্ত্ৰীডাঙৰীয়াই কলে—"নালাগে, আমি প্ৰথমে জালুকবাৰীত চাম, তাৰ পাছত থানাপাৰাত আৰু শেহত লাগিলে বামুণীমৈদামত।" ইয়াকে কৈ তেখেত পুনঃ প্ৰকোষ্ঠত সোমাল।

মই তেতিয়া মণ্ডল-কাননগোসকলক সুধিলোঁ—' আমাৰ কাকত-পত্ৰ ঠিক আছেনে? বৰাডাঙৰীয়াৰ কিন্তু সকলোবোৰ জনা আছে।" উত্তৰ আহিল—"আমাৰ সকলো ঠিক আছে ছাৰ।" মই পুনঃ মণ্ডলক উদ্দেশ্য কৰি কলোঁ—"কালি চোৱা জালুকবাৰীৰ মাটিবোৰৰ কাগজ-পত্ৰ ঠিক আছে নে?" তেওঁ কলে—"হয়, আছে। সকলো কাকত-পত্ৰ মোৰ লগতে আছে। চাব নেকি ছাৰ?" মই উত্তৰ দিলোঁ—"নালাগে। যুদ্ধ-ক্ষেত্ৰতহে ঢাল তৰোৱাল দৰকাৰ। ৰাখক।"

অলপ পিছতে এজন দুজনকৈ কেবাগৰাকীও মন্ত্ৰীডাঙৰীয়া 'চাৰ্কিট হাউচ'ৰ নিজ নিজ কক্ষৰ পৰা ওলাই মটৰত উঠিবলৈ ধৰিলে। মষ্ট্ৰো তত্তালিকে চাইকেলখন 'চাৰ্কিট হাউচ'ৰ ওচৰৰ বকুলজোপাত আওজাই থৈ কাৰ মটৰত কৃপাপ্ৰাৰ্থী হৈ ওলাম আৰু মোৰ নন্দি-ভৃঙ্গী মণ্ডল-কাননগোসকলক নিয়াৰ কি ব্যৱস্থা কৰিম তাকে ভাবি ইফালে সিফালে চাবলৈ ধৰিলোঁ। এনেতে ৰাজহ-মন্ত্ৰী ডাঙৰীয়াৰ ওচৰত থিয় হৈ থকা বৰচাহাব কাপুৰে কলে—"বৰুৱা, মোৰ গাড়ীখন লৈ তুমি যোৱা। তুমিৰে

গৈ 'টাউন প্লেনাৰ মিষ্টাৰ মেৰাড়াকো লৈ আহা। বোৱা, পলম নকৰিবা। গিগিনা তুমি দেখুৱা ঠাইলৈকে আমি আগবাঢ়ি যাওঁ " মোৰ আৰু কিবাকিবি সুধিবৰ ইচ্ছা হৈছিল, কিন্তু তেখেত ৰাজহমন্ত্ৰী ডাঙৰীয়াৰ গাড়ীত ইতিমধ্যে প্ৰৱেশ কৰিলত মই নীৰৱে তেখেতৰ (ভি চি ৰ) গাড়ীত বহিলোঁ গৈ আৰু ড্ৰাইভাৰক কলোঁ—"ব'লা শীঘ্ৰে মিষ্টাৰ মেৰাড়াৰ বঙলালৈ ব'লা।" মণ্ডল-কাননগোসকলক মই মোৰ লগতে ললোঁ।

তেতিয়া টাউন প্লেনাৰ মিষ্টাৰ মেৰাড়াৰ অফিচ কুকুৰমূতাত ৺লোকপ্ৰিয় বৰদলৈৰ পুৰণি ঘৰৰ সন্মুখৰ দুমহলীয়া ঘৰ এটাত। কুকুৰমুতা বুলিলে মানুহে আজিকালি হয়তো বুজিবলৈয়ে টান পাব। কিয়নো ভাল মানুহৰ বসতি হোৱাৰ লগেলগে ঠাইৰ আপচু নামবোৰো গুচি ভাল হয়। কুকুৰমুতাবো এছোৱাক এতিয়া হেডায়েৎপুৰ আৰু আন ছোৱাক শিলপুখুৰী বোলা হয়।

ড্ৰাইভাৰক মই দ্ৰুত গতিত গাড়ী চলাবলৈ কলোঁ। অলপ কেইমিনিটমানৰ ভিতৰতে মেৰাড়াচাহেবৰ বঙলা পালোঁগৈ। মিষ্টাৰ মেৰাড়া সেই সময়ত ওপৰ মহলাৰ শয়ন-কক্ষত আছিল। ঘৰটোৰ তলৰ ছোৱাত অফিচ আৰু ওপৰ মহলাত মেৰাড়া চাহাব থাকে। আজিকালি এনেকুৱা থকা ঘৰৰ লগত সংলগ্ন অফিচেই সৰহ। সাধাৰণতে ডাঙৰ আৰু নতুন অফিচাৰসকলৰ অস্থায়ী অফিচবোৰ তেনেকুৱা!

মই গৈ পোৱা সময়ত মিষ্টাৰ মেৰাড়া আছিল বিশ্ৰামত। শনিবাৰ্ হাবে সেইদিনা অফিচতো আমোলা-মহৰী কোনো নাছিল। চকীদাৰটোৱে বঙলাৰ সন্মুখতে ফুলনিৰ ওচৰত তহল দি আছিল। চকীদাৰক মই কলোঁ—"চাহাবক মাতি দিয়া।" সি কলে—"মই নোৱাৰোঁ। খং কৰিব। এইমাত্ৰ অফিচৰপৰা গৈ শুইছে। টোপনি আহিছে হবলা।" চকীদাৰৰ হাতত কাগজ এখন পঠাব খুজিলোঁ—তাকো সি নিবলৈ সন্মত নহল। মন্ত্ৰীবাহাদুৰ, ৰৰচাহাব ডাঙৰীয়া আদি বৰলোক সকলৰ নাম কলোঁ—তাকো সি গণিতা নকৰিলে। ভাবিলোঁ—কথা বিষম। বিশল্যকৰণী আনোতে আনোতেই এতিয়া যেখোন সময় উকলি যায়। ই কথাই কথা নহয়—মেৰাড়াৰ বোৰতকৈ মন্ত্ৰীৰ বোধ ডাঙৰ। ইয়াকে ভাবি খটখটিত জোতাৰে শব্দ কৰি টান টানকৈ মিষ্টাৰ মেৰাড়াক মাতিবলৈ ধৰিলোঁ।

কেইবাবাৰো মতাৰ পিছত তেখেত ওলাই আহিল। তেখেতক অহা দেখি চক্ৰীদাৰে তৎপৰতা দেখুৱাবলৈ মোক কলে—"মই আপোনাক আমাতি-বলৈ কোৱা সত্ত্বেও আপুনি কিয় 'হাজ' কৰিছে?" মই কলোঁ—"বৰবাহে বোপাটি, তুমি কিমান পানীৰ মাছ বুজিছা। এতিয়া চুপ থাকা। তোমাৰ চাকৰি বয়। ভয় নাই।"

তেতিয়া মিষ্টাৰ মেৰাড়াৰ কংকালত পাইজামা আৰু গাত গেঞ্জিটো মাত্ৰ আছিল। চকু মোহাৰি মোহাৰি ওলাই অহা দেখিয়ে মই অৱস্থাটো বুজিলোঁ। তেখেত আগৰেপৰা মোৰ লগত পৰিচিত। সময় অকণো অপব্যয় নকৰি মঙ্গলকামনাৰ লগে লগেই মই আগমনৰ উদ্দেশ্য বোৰাতে কলোঁ। আৰু সাজু হবলৈ অনুৰোধ কৰিলোঁ। তেখেতেও ভিতৰলৈ গৈ অলপ সময়ৰ ভিতৰতে সাজু হৈ ওলাই আহিল আৰু সুধিলে—"তাত কোন কোন আছে?" মই কলোঁ—"বাটত কম ব'লক। ডি. চি, চীফ ইঞ্জিনিয়াৰ, বিশ্ববিদ্যালয়ৰ মুখ্য কৰ্মকৰ্তাসকল, শিক্ষামন্ত্ৰী, পি ডব্লিউ ডি মন্ত্ৰী, জঙ্গল বিভাগৰ মন্ত্ৰী আদি অনেক।" —ফাইনেন্স মিনিষ্টাৰো আছে নেকি?—মই 'আছে' বুলিলোঁ। কথা শুনি তেখেত অলপ থমক খালে। কলে—"খন্তেক ৰব; মই এইমাত্ৰ আহিম।" কথাষাৰ কৈয়ে তেখেত ভিতৰলৈ গ'ল। তাৰ পিছত কিছুপৰ সকলো নীৰৱ। মই অতিষ্ঠ হৈ কলোঁ—"মিষ্টাৰ মেৰাড়া, মন্ত্ৰীসকল যদি বিৰক্ত হৈ গুচতে তেন্তে জগৰ মোৰেই নহয় আপোনাৰো হব।" তৎক্ষণাৎ তেখেতে আগৰ পোচাক থৈ এটা নতুন ধুনীয়া পোচাক পিন্ধি ওলাই আহিল। মিষ্টাৰ মেৰাড়া তেতিয়াও অসমত নতুন হৈয়ে আছিল।

আমি ততাতৈয়াকৈ গৈ মটৰত উঠিলোঁ। ড্ৰাইভাৰে জালুকবাৰী অভি-মুখে মটৰ দ্ৰুতগতিত চলাবলৈ ধৰিলে। যথাস্থানত গৈ দেখোঁ—মন্ত্ৰীমহো-দয়সকলৰ কোনো তাত নাই। ইফালে-সিফালে চাই নিৰুপায় হৈ অগত্যা কিজানি চাৰ্ভে স্কুললৈয়ে গ'ল বুলি ভাবি পোনে পোনে তালৈ কোব ললোঁ। কাৰণ কাপুৰ চাহাবে এবাৰ কৈছিল যে চাৰ্ভে স্কুলটো উঠাই গুৱাহাটীৰ বামুণীমৈদামলৈ নি তাতে ইঞ্জিনিয়াৰিং কলেজ পতা উচিত! তালৈ গৈ দেখোঁ—তাতো কোনো নাই। তাতে কোনোৱা এজনক সুধি উত্তৰ পালোঁ —মন্ত্ৰীসকলৰ গাড়ী তালৈ যোৱাই নাই। মটৰ লৈ আকৌ ঘূৰিলোঁ।—আগৰ ঠাইলৈ। বাওঁতে বাটত ব'ৰ্ডে থাকে পাওঁ মন্ত্ৰীসকলৰ গাড়ী, পতাকা-

থাকা গাড়ী যোৱা দেখিছিল সে সুধিবলৈ ধৰিলোঁ। গৈ গৈ পুনঃ বিশ্ব-বিদ্যালয়ৰ দক্ষিণে থকা পৰ্ব্বতমালাৰ প্ৰান্ত-পথ পালোঁ। কোনেও আমাক মন্ত্ৰীমহোদয়সকলৰ সঠিক সন্ধান দিব নোৱাৰিলে। তেতিয়া আমাৰ অৱস্থা তাহানি ঠিক ৰামৰ অনুচৰসকলে আই সীতাক বিচাৰি হাবাথুৰি খোৱাৰ দৰে হৈছিল। মটৰ চলাই আকৌ আমি ইফালে সিফালে সেই ঠাই ভোখ-ৰতে ঘূৰিবলৈ ধৰিলোঁ। বাটত মানুহ পালেই আমি মটৰ ৰখাই মন্ত্ৰী-মহোদয়সকলৰ ৰাজকীয় পতাকা-শোভিত গাড়ীৰ খবৰ সুধিছিলোঁ। বিপদত বোলে শিয়ৰেও গল খজুৱায়। আমাকো কোনোৱে কলে—"কেতিয়াবাই তেনেকুৱা গাড়ী কিছুমান গাড়ীগাঁৱৰ ফালে যোৱা দেখিছিলোঁ।" অন্য কোনোৱে কলে—"এইমাত্ৰ এইপিনে পলাশবাৰীৰ ফালে যোৱা দেখি-ছিলোঁ তো।"

আমি গাই হেৰোৱা দামুৰিৰ দৰে হৈ আকৌ পলাশবাৰীমুৱা হৈ চাপলি মেলিলোঁ। গাড়ী বায়ুবেগে গৈ কিজানি পলাশবাৰী পালেহেঁতেন, কিন্তু হঠাৎ কিয় জানো মোৰ মনত খেলালে—জানোচা আকৌ চাৰ্চ্চে স্কুললৈকে গৈছে। তৎক্ষণাৎ চাই যোৱাই ভাল হব; মাত্ৰ দুই তিনি মিনিটৰ কাম। তাকে কৰা হ'ল।

চাৰ্চ্চে স্কুলৰ সন্মুখলৈ গৈ দেখোঁ মন্ত্ৰীসকল তাত আছে আৰু পুনঃ ঘূৰিবলৈয়ে আৰিমুৰি কৰিছে। ড° বিৰিঞ্চিকুমাৰ বৰুৱাদেৱে মোক তৎ-ক্ষণাৎ ইঙ্গিত দি কলে—"তুমি কোৱা, কোৱা; মন্ত্ৰীসকলক তোমাৰ কি কবলগীয়া আছে কোৱা। নহলে যাব এতিয়া। তোমাক খুব থং কৰিছে। সৌ তালৈ গৈয়ো তোমাক নাপালে।" চাই থাকোঁতেই মন্ত্ৰীসকল একে একে মটৰত উঠিবলৈ ধৰিলে।

মই মটৰবোৰৰ শাৰীৰ সন্মুখতে সোনেই থিয় হৈ হাত যোৰ কৰি বিনীতভাৱে কলোঁ।—"এক মুহূৰ্ত্ত বৈ চাই যাওঁক ছাৰ। মাত্ৰ এক মুহূৰ্ত্ত।" মন্ত্ৰীসকল মটৰৰপৰা ওলাল। দুই-এগৰাকী বোধহয় মটৰত উঠাই নাছিল। আজহ মন্ত্ৰী ৰবা ভাণ্ডাৰীয়াৰ লগত বহুকাল পূৰ্বৰেপৰা মোৰ চিনাকি আছিল। তেখেত এম্.এল.এ হৈ থকা কালত এবাৰ এডমাণ্ড্ চ্ কলেজৰ 'মাধৱ দেৱৰ তিথিত তেখেত আছিল সভাপতি আৰু মই কলেজৰ অধ্যাপকসকলৰ-পৰা নিৰ্দ্দিষ্ট বক্তা। তেতিয়াই আমাৰ দুইকো চিনাকি হৈছিল। তেতি-

য়াৰেপৰা তেখেতে মোক সদায় অলপ মৰমৰ চকুৰে চাইছিল হবলা ; সেই-দিনা পিছে তেখেতে গাম্ভীৰ্যৰে ক'লে, কুপি কুপি কৰাৰ দৰে—"আপুনি কত মুৰি ফুৰিছিল ? আপোনাৰ কৰ্মচাৰী-জ্ঞান নাইনে ? আমাকে 'প্ৰগ্ৰেম' দি আহিও আমি পাঁচ-ছয়জন মন্ত্ৰীয়ে ইমান ভাবি চিন্তি য়াত ই কি তামাচা পাইছে ?'

মই কাৰণটো বুজাবলৈ গৈ কলোঁ।—"মোৰ টাউন প্লেনাৰ, বিলোনি আদি আপোনালোকক দিয়াৰি কৰিছোঁ, ছাৰ। মোৰ দিয়ে উত্তৰ কৰা নাই।' উত্তৰ আহিল—"কোনো ঠেকেৰে মুৰি ফুৰিবলৈ দিয়ে ঠাইত থাকিলে কি হয় ?" তেখেতৰ যে খঙটো উঠিছিল সেইটো স্পষ্ট বুজা গৈছিল।

মই তৰ্ক নকৰিলোঁ। কাৰণ, সময় বিশেষে তৰ্ক বৃথা ; নীৰৱতাই সময়ত শ্ৰেষ্ঠ তৰ্ক। কাপুৰ চাহাবৰ কাণে নিঃসহায়ভাৱে চাই পঠিয়ালোঁ। উত্তৰতো নীৰৱতাকেই পালোঁ। ডাঃ বিৰিঞ্চি বৰুৱাই কেৱল ক'লে, "সৌ পাহাৰৰ দাতি-অঞ্চল ডি. চিয়ে দেখুৱালেই—তুমি তোমাৰ বক্তব্য কোৱা। তেতিয়া ৰাজহ মন্ত্ৰী মহোদয়ে কলে—"ক'তা আপোনাৰ মেপ ক'তা ? এই ঠাইৰ মেপ উলিয়াওক। মেপত আমি থিয় হৈ থকা এই ঠাইতোখৰ দেখুৱাই দিয়ক।" কথাৰ সুৰ কিঞ্চিৎ নৰম হোৱা যেন শুনি অলপ আশ্বস্ত হলোঁ।

ইফালে মানুহৰ মাৰ দেখি তিলে বৈত মেলা বোলাৰ দৰে মোৰ অৱস্থা। দেখি মণ্ডল কাননগো দুয়ো তেতিয়ালৈও মটৰৰ ভিতৰতে চুপতি হৈ বহি আছিল। 'টাউন প্লেনাৰে' কোনোমতে ওলাই আহি, জগৰ কিজানি পিছলি গৈ তেখেতৰ গাতেই লাগে ভাবি ভয়তে হবলা অৰ উঠা পহা থকাদি চীফ ইঞ্জিনিয়াৰৰ কাষত আশ্ৰয় লৈছিলগৈ। মই ততালিকে গাড়ীত বহি থকা মণ্ডলক কলোঁগৈ—"ইয়াৰ মেপখন দিয়কচোন। ওলাই নাহে কিয়—আপোনালোক ?

চুলি পকা বুঢ়া মণ্ডলে মটৰৰ ভিতৰৰপৰাই ন-কইনাই উত্তৰ দিয়াৰ দৰে সৰুকৈ কলে—"ইয়াৰ মেপ ভুলতে আনা নহ'ল ছাৰ।" কথা শুনি খঙে-ৰাগে বিবুধিত মোৰ মুখাকৃতি হব লগীয়া অৱস্থা হ'ল। মুখেৰে বেঁকা কলোঁ।—"কাৰ মূৰটো আনিছে তেনেহলে ?" কথাৰাৰ কে থিয় হলোঁ।

কিন্তু তাতেই তো সমস্যাৰ সমাধান নহ'ল। সমস্যাই বৰং পুলি-পোখাহে মেলিলে। মেপ নাই বুলি কম, খণ্ডত জলি-পৰ্কি থকা মন্ত্ৰীয়ে তেনেই গৰা মাৰি ধৰিব; আছে বুলিয়ে বা কি দেখুৱাম? মেপ নেদেখুৱাকৈ কিবা একাবাৰ কথা কব লাগিলেও তেখেতে পোনেই কব—'মই আপোনাক মেপহে আনিবলৈ কৈছো, বক্তৃতা দিবলৈ কোৱা নাই।" তেতিয়া গুমৰ ফাক হলে সুবিধা পাই কোনোৱে কব—"এওঁৰ মণ্ডল-কাননগোৰ ওপৰত শাসন সমূলি নাই, চাৰ্কোল কেনেকৈ চলাব?" কোনোৱে ভাবিব—এওঁ নিজেই একো নাজানে হবল', সকলো মণ্ডলৰ ওপৰতে নিৰ্ভৰ কৰে। কোনোৱে হয়তো কব—"এওঁৰ কৰ্ত্তব্য-জ্ঞান সঁচাকৈয়ে নাই।" কাৰো মুখত হয়তো ওলাব—"এইবোৰ কৰ্মচাৰী আজিও চাকৰিত আছে।" ইত্যাদি। মোৰ মনত বহুত আশঙ্কা জাগিল! খ.স্তকৰ কাৰণে মোৰ ভৰিৰ তলৰ পৃথিবী-খন আতৰি যোৱা যেন লাগিল। এই অৱস্থাতেই বোধহয় আই সীতাই এদিন "ফাট মেলা বসুমতী পাতালে লুকাওঁ" বুলিছিল।

পিছে ভগৱানৰ কি অপাৰ কৰুণা, হঠাৎ মোৰ মনত পৰিল চামৰাৰ তাঙৰ বেগটোত থকা গুৱাহাটী চাৰ্কোলৰ সৰু 'মজমুলি' মেপখনৰ কথা। বেগটো তৎক্ষণাৎ মটৰৰপৰা উলিয়াই হাতত লৈ মন্ত্ৰীসকলৰ ওচৰ পালোগৈ। বুকুত ভয় আছিল যদিও মুখত সাহসপূৰ্ণ গাম্ভীৰ্য্য দেখুৱাবলৈ যত্ন নকৰাই নাছিলো। মন্ত্ৰীডাঙৰীয়াই মোৰ হাতত মেপ নেদেখি খঙৰে 'মেপ ক'ত' বুলিলে। মই গহীনকৈ 'আছে' বুলি বেগটো খুলিলো। খুলি 'মজমুলি' মেপখনকে হাতত লৈ থিয় হলো। ভাগ্য ভাল আছিল হবলা—'বেভিনিউ মিনিষ্টাৰে' পোনেই প্ৰশ্ন কৰিলে "আমি অহা ৰাস্তাটো ক'ত? আমি এতিয়া ক'ত আছো?"—তিতৰতে দুষ্ট উত্তৰটো লুকাই ৰাখিলো।—জালুক-বাৰীত। কাৰ্য্যত মই মেপখন হাতত লৈ ফটকৰে ৰাস্তাটো দেখুৱালো আৰু আমি এতিয়া ইমানতে আছো" বুলি জেপৰপৰা ফাউণ্টেন পেনটো উলিয়াই তাৰ গুৰুটো মুৰটোৰে দেখুৱালো। লগতে আই সৰ্বজ্ঞক চিন্তা কৰি গুৱাহাটী, পাণ্ডু, ব্ৰহ্মপুত্ৰ, বিশ্ববিদ্যালয়ৰ স্থান আদিবোৰো নোপোখাকৈয়ে টপাটপ দেখুৱাবলৈ ধৰিলো। মন্ত্ৰী মহোদয়ে সুধিলে "চাওঁ স্কুলৰ সন্মুখৰ এই ফিল্ডখন ক'ত?"

মই মেপ দেখুৱাই কলোঁ।—"ইমানতে, এইখিনিতে হব।"

—কালি-পৰিমাণ কিমান হব?

—সৌ জঙ্গলখিনি বাদে পোন্ধৰ বিঘা; মুঠতে চাৰে চাৰিকুৰি বিঘা।

—সৌ পাহাৰখন আৰু তাৰ দাঁতিত চাৰ্ত্তে স্কুলৰ কিমান মাটি আছে?

—বাৰ বিঘা পোন্ধৰ লেচা।

—ইয়াত মুঠতে কিমান মাটি পোৱা যাব?

—এশ পঞ্চাশ বিঘা, চাৰি কঠা তিনি লেচা।"

মন্ত্রীমহোদয়সকলে মেপতকৈ ঠাইতোহে বেছি লক্ষ্য কৰিছিল। মযো সেইটোকে ইচ্ছা কৰিছিলোঁ। চৰকাৰী কৰ্ম্মচাৰীসকল আৰু উপস্থিত জনতাৰ মাজত চাৰ্ত্তে স্কুলৰ হেড্ মাষ্টাৰ শ্ৰীদয়াকান্ত ফুকনো থিয় হৈ আছিল। ছাত্ৰৰ খুঁত বা দোষ দেখিলে শিক্ষকৰ সদায় উচ্পিছনি লগা স্বাভাবিক। ফুকনৰো বহুকাল শিক্ষকতা কৰা মনটোৱে তেখেতক বোধহয় খুঁচিয়াই দিয়াত পোনেই প্ৰশ্ন কৰিলে—"মজম্মাল চাই জানো কালি...?" মই একেখিনিতে উত্তৰ দিলোঁ।—"ধৰিব জানিলে পাৰি।" মোৰ সহীন উত্তৰ শুনি ফুকন নীৰৱ হ'ল। অন্য মন্ত্রীসকলেও মেপৰ ফালে চালে—মেপ নাচালে। তেখেতসকলৰ প্ৰত্যেকে তাৰ উপস্থিত কৰ্ম্মচাৰীসকলৰো দুই এজনে দুই চাৰিটা প্ৰশ্ন কৰিলে। এগৰাকীয়ে সুধিলে—"ইমান মাটি চাৰ্ত্তে স্কুলৰ কাৰণে কি প্ৰয়োজন?" অন্য এজনাই সুধিলে—"এইবোৰ একচনীয়া মাটি নেকি?" তৃতীয় এজনে সুধিলে—"ইমান মাটি পেলাই থোৱাতকৈ ইয়াত খেতি নকৰে কিয়?" মই সাধ্যানুসাৰে তেখেতসকলৰ প্ৰশ্নৰ সমিধান দিলোঁ। ৰাজহ মন্ত্রী ডাঙৰীয়াই তেতিয়া কলে—"থানা-পাৰাৰ ঠাইবোৰ চোৱাই ভাল হব। তালৈকে বলক। ইয়াত ঠিক নহব।"

কথা শুনি অন্যৰ যি নহওক, মোৰ হলে মোৰ চিন্তা উপজিছিল। তাৰ কাৰণ থানাপাৰাৰ কাগজ-পত্ৰ, মণ্ডল-কাননগো আদি মোৰ লগত নাছিল। মই ভাবৰ অলপ আঁতৰা যেন পাই সাহসত ভৰ দি কলোঁ।—"কিন্তু তাৰ আগতে পাহাৰৰ দাঁতিত থকা প্ৰায় চাৰে তিনিশ বিঘাৰ সৌ চৰকাৰী 'প্লট'টো এবাৰ চাই গলে ভাল আছিল, ছাৰ। বিশ্ববিদ্যালয়ৰ বাটৰ কাষতে লাগি আছে। গৰাখাৰ, মুকলি মাটি। সমুখতে বিশাল দীপৰ বিলটো পাব।"

ৰাজহ মন্ত্রী ৰবা দেখি আকৌ কলে—"আমি এবাৰ সেইবোৰ চাই যাওঁ

আহিলোঁ। নহয়! আপুনিহে তাত নাথাকি সকলো পণ্ড কৰিলে! কিয় নাথাকিল?"

মই লগে লগে উত্তৰ দিলোঁ।—"আগতে কৈছো নহয়নে? মোৰ ইচ্ছাকৃত নহয়।"

শিক্ষামন্ত্ৰী শ্ৰীঅমিয়কুমাৰ দাস ডাঙৰীয়াই মোক কলেজীয়া কালৰপৰাই জানে। তেখেতে মোৰ কথা শেষ হোৱাৰ লগে লগে সুধিলে—"সেই 'প্লট' টো ইয়াৰ পৰা দেখা যায় নেকি?" মই উত্তৰ দিলোঁ।—"অলপ দেখা যায়। সৌ বিৰিঙি বিৰিঙি দেখা সেইবোৰেই মাটি। খুৰি যাওঁতে আমি মাটিৰ ওচৰতে পাম। তাৰ ওচৰলৈ মটৰ যায়। ঠাইডোখৰৰ নাম লাকুৰি বৰি।"

পি, ডাব্লিউ, ডি মন্ত্ৰী শ্ৰীসিদ্ধিনাথ শৰ্মাদেৱে কলে—"ব'লক তেনেহলে এবাৰ সেই ঠাইডোখৰো চোৱাই যাওঁক। বৰা, ব'লক; যাওঁ ব'লক, "নামটো দেখো ভাল যেন লাগছে। আনোৱা ঠাইডোখৰো ভালেই।" শহীনভাৱে খুহুতীয়া কথা কোৱাত শৰ্মাদেৱৰ নাম আছে।

এইবাৰ ৰাজহ মন্ত্ৰী প্ৰসন্ন হ'ল যেন লাগিল। তেখেতে পোনেই মোক কলে—"এইবাৰ গাড়ী লৈ আপুনি আগে আগে যাওঁক। ঠাইতহে গৈ ৰব, মাটিত ক'তো নৰৱ। আমি পিছে পিছে গৈছোঁ।"

মনতে "হে ভগৱান, তুমি যি কৰা!" বুলি আমি তৎক্ষণাৎ ডি. চিৰ মটৰত উঠি আগে আগে যাবলৈ ধৰিলোঁ—মাধৱ দলেই মণ্ডল, কাননগো, ড্ৰাইভাৰ মেৰাড়া আৰু মই। গৈ গৈ পাহাৰৰ দাঁতিৰ জাঁজটোৰে গৈ ঘূৰি চাই দেখো যে মন্ত্ৰীমহোদয়সকলৰ গাড়ীৰ সমদলে আকৌ পিছে পিছে আহি থাকি পাহাৰৰ ওচৰৰ জাঁজৰ পৰা চিধা বাট লগে জাঁজটোত আমাক লেখিলে। মোৰ ডি. চিৰ খং উঠিল; কাৰণ তেওঁক মই সেই ঠাইৰোৰ আগতে দেখুৱাই নিছিলো। গতিকে তেওঁ কিয় বাট ভুল কৰিব? উপায় নাপায় আমি আধাতে, অবিৰাম 'হৰ্ণ' বজাবলৈ ধৰিলোঁ। আমাৰ মটৰৰ 'হৰ্ণ' শুনি গাড়ীবোৰ ঘূৰি পুনৰ ঘৈ আমি যোৱা বাটেদি ক্ৰমান্বয়ে পালে।

গাড়ীৰপৰা নামিয়েই হঠাতে বিশাল মুকলি পথাৰ দেখি উৎফুল্লিত আকৃতিৰ পৰা প্ৰথম আঙুলি নামিল; মেলে—"এই ঠাইডোখৰ কি মাটি? কিমান হব? সৌ সেইখিনি মাটিত কিমান হব? মাটিৰ দাম ইয়াত কিমান?

সৌবোৰত কিমান পানী উঠে? এই বিজাৰ্তত কিমান গৰু চৰে? স্বাস্থ্য কেনে? খোৱা পানী ক'ত পোৱা যাব? পানী ভাল হ'বনে? কিমান তলত পোৱা যাব? মানুহৰ আপত্তি হ'ব নেকি? পাহাৰবোৰত কিমান মাটি পোৱা যাব? পাহাৰত ববকৈ শিল আছে নেকি? এইবোৰ অঞ্চলৈ কেতিয়াবা বীপৰ বিলবপৰা বনৰীয়া হাতী চৰিবলৈ নাহেনে? বিলত হাঁহ পৰেনে? আগে এইবোৰ ঠাইত পহু ওলাইছিল, আজিকালি সোণায়নে?" ইত্যাদি, এনেধৰণৰ এটা প্ৰশ্ন। নকলেও হ'ব যে যাৰে যি প্ৰশ্ন সুধক মইতো উত্তৰ দিব লাগিবই; কাৰণ তলতীয়া কৰ্মচাৰী! সাধ্য অনুসৰি মনো উত্তৰ দি গলোঁ।

তাৰ পিছত সকলো কথা থিয়ৈ-থিয়ৈ আলোচনা কৰি সেই ঠাইকেই মন্ত্ৰীসকলে মনোনীত কৰিলে। ৰাজহ মন্ত্ৰী বৰাদেৱ নিজে বিত্ত-মন্ত্ৰীও। তেখেতেই আগৰ দৰে আগধৰি সন্মতি জনাই কলে—"তেন্তে দেখা যায় এয়ে বঢ়িয়া হ'ব; কি কয় শৰ্মা? আমি তেন্তে ইয়াকে লোৱা ঠিক কৰিলোঁ। শৰ্মা ডাঙৰীয়াই সন্মতি দিলে। বাকী মন্ত্ৰীসকলেও হয়ভৰ দিলে। যাত্ৰাৰ তাতেই ওৰ পৰিল।

ৰাজহ মন্ত্ৰীয়ে ডি. চি.ক এই বিষয়ৰ প্ৰস্তাৱ আৰু সিদ্ধান্ত লিপিবদ্ধ কৰিবলৈ নিৰ্দ্দেশ দিলে। চীফ ইঞ্জিনিয়াৰ, টাউন প্লেনাৰ আদি বিষয়াসকলেও তেওঁলোকলৈ চোৱাত "হয়, হয়" কৰিলে। এইদৰে অসমৰ প্ৰথম ইঞ্জিনিয়াৰিং কলেজৰ স্থান জালুকবাৰীতে ঠিক কৰা হ'ল। সকলোৰে উদ্বেগ আৰু চিন্তাই শাম কাটিলে।

মোৰ কিন্তু তেতিয়াও এটা বিষয়ত খু-দুৱনি মৰা নাছিল -মন্ত্ৰীসকলৰ সমুখতটো আমি বাটত হেৰুৱাইছিলোঁ ক'ত? গড়কাপ্তানি বিভাগৰ মন্ত্ৰী শৰ্মা ডাঙৰীয়াৰ লগত আগতেও মুকলাভাৱে কথা কোৱাৰ অভ্যাস মোৰ আছিল। তেখেতৰ ওচৰ চাপি কথাটো সোধাত তেখেতে কলে—"আমি পোনতে বন্দৰ, 'স্লুইচ গে'ট' আদিৰ ঠাইবোৰ চালোঁগৈ। তাৰ পিছত বিশ্ববিদ্যালয়ৰ এমুৰেদি সোমাই অন্য মুৰেদি ওলাই আহিলোঁ।" মই তেতিয়া সকলো কথা বুজিলোঁ আৰু কলো—"আমাক আজি কিবা কুগ্ৰহই পাইছিল। প্ৰথমে বিচাৰি আনিলো 'টাউন প্লেনাৰ'ক তাৰ পিছত আপোনালোকক বিচাৰি এইপিনেদি দুখি চাৰ্ভে স্কুললৈয়ে দুবাৰ গলোঁ। সভৰ আমি প্ৰথমতে

ইয়ালৈ অহা সময়ত আপোনালোক গাড়ীগাঁৱতেই আছিল, দ্বিতীয় বাৰ চাৰ্জে স্কুলৰপৰা ঘূৰি আহোঁতে আমাৰ আগে আগে ওলাই গৈছিল। অন্য কষ্ট নাই, ভুল বুজাৰ বাবেহে বেয়া লাগিছে।" তেখেতে ক'লে—"যাগ্ৰ দিয়ক। আজি শনিবাৰে সকলোকে শনিয়ে পাইছিল। শেষত ভালেই হ'ল নহয়।" ৰাজহ মন্ত্ৰী ডাঙৰীয়াই সুধিলে—"কি শনিৰ কথা কৈছে শৰ্ম্মা?" তেতিয়া শৰ্ম্মা ডাঙৰীয়াই তেখেতক সকলো কথা বিৱৰি কলে। মনটো অলপ পাতল লাগিল। দোষত শাস্তি লবলৈ বেয়া নালাগে; 'উন্টা বুজিলি ৰাম" হয় বুলিহে ভয়। শৰ্ম্মাদেৱৰ বৰ্ণনা শুনি সকলোৱে হাঁহিলে।

(২)

আমি চাৰ্জে স্কুলত 'ট্ৰেইনিং' লোৱা সময়ত শ্ৰীদেৱকান্ত ফুকন জালুকবাৰী চাৰ্জে স্কুলৰ চেকেণ্ড মাষ্টাৰ আছিল; হেড্ মাষ্টাৰ আছিল শ্ৰীকালীৰাম দাস। ফুকনক আমি আগৰ পৰাই সন্মান কৰিছিলোঁ আৰু স্ফুৰ্ত্তিত থাকে বাবে ভালো পাইছিলোঁ। পিছত তেওঁ হেড্ মাষ্টাৰ হৈছিল।

মন্ত্ৰীসকল যোৱাৰ দুদিনৰ পিছত হেড্ মাষ্টাৰ ফুকন শ্ৰীকাশী পাটোৱাৰী কাননগোক লগত লৈ মোৰ অফিচলৈ গৈছিল। সেইদিনা ভিতৰলৈ প্ৰৱেশ কৰিয়ে তেওঁ কলে—"সিদিনা আমি আপোনাৰ ভল মেজিক চালোঁ। আপুনি মেজিক ক'ত শিকিলে? জালুকবাৰীত তেখেতৰ শিকা নাছিল, বৰুৱাদেউ?"

মই সুধিলোঁ—"কেনে?"

তেখেতে কলে—"আমি দুয়ো আলোচনা কৰিছোঁ—আমাৰ এতিয়া পেন্সন পাবৰ হ'ল, ইমান দিনে তুমি বিভাগৰ কোনো বিষয়াক এইদৰে 'মুজমুলি'ত মাটিৰ কালি দেখুৱা দেখা নাছিলোঁ। আপুনি অসম্ভৱক সম্ভৱ কৰিলে। মাটিৰ কালিবোৰ আপোনাৰ মুখত সিদিনা কেনেকৈ আখৈ ফুটা দিলে। কালিৰ পৰিমাণবোৰ কেনেকৈ পালে বুলিলে বাৰু আপুনি কি উত্তৰ দিলেহেঁতেন?"

মই কলোঁ—"কিয়? 'মুজমুলি' জানো ভেল বাহিৰ অকা ক্লেশ নহয়? ভেল খুকা ইমানেই ভেঁশ শুকা। আচুটৈ বাৰু কোনে এছি এৰা জুৰ্ডি

পাৰে? আৰু এটা কথা নহয়; তেখেতসকলক বস্তুটোৰ এটা ধাৰণা দিবহে লাগে; বাকী কাম আমাৰ। নহলে আমি কিয় আছোঁ?"

ফুকনে কলে—"তথাপি আমি বুজে আপুনি ভেল্কিহে দেখুৱাইছিল বুলিহেঁ।"

মই উত্তৰ দিলোঁ—"তাকে নকৰি উপায় কি কওঁকচোন বাৰু! বুঢ়া মণ্ডলক আগদিমা ইয়ানকৈ কোৱা সত্ত্বেও হেঁচৌ সেই ঠাইৰ মৰ্ম্মক নিবলৈ পাৰিবলে। সেই কথা জানো মন্ত্ৰীসকলক কোৱা যায়? মাটিৰ কালিকাৰ মই আগতে চাই থৈছিলোঁ। খাৰ কালি সম্বন্ধে তেখেতসকলক এটা ধাৰণাহে লাগে! অৱস্থাভেদে সেয়ে সমীচীন!"

পাটোৱাৰী কাননগোৱে কলে—"সচাকৈয়ে আমাক শনিয়ে পাইছিল ছাৰ। নহলেনো আমি তেখেতসকলক আৰু তেখেতসকলে আমাক বিচাৰি ঘুৰেনে?"

ফুকনে কলে—"শনিৰ শেষ দশা ভাল। আপোনালোকো সেই দেখিহে সাবিব পাৰিলে। পিছে সেইবোৰ যিয়েই নহওক, নমৰালৈকে মই হলে এই মেজিক মনত ৰাখিম।"

মই কলোঁ—"মূঠ কথা ভগৱানৰ ইচ্ছা পূৰ হল। ইঞ্জিনিয়াৰিং কলেজে গঢ় লৈ উঠিলে আমি কেতিয়াবা লগেভাগে গৈ তাকে চাই অতীতৰ স্মৃতি মনলৈ আনিম। লগৰীয়াসকলক কম—ইয়াৰ লগত আমাৰ জীৱনৰ কেইটামান মূল্যবান মুহূৰ্ত্ত কেনেকৈ সাঙোৰা আছে কোনে জানিব?

মই আজিও ভাবি আচৰিত হওঁ যে চতুৰ কাপুৰ চাহাবেও সিদিনা এবাৰ মাত মাতিবলৈও সাহ নকৰিলে। ভবিত ছুল লোমালে সিংহ জীৱৰ হয় বোলা কথাটো তেনেই মিছা নহয়।

মন্ত্ৰীৰ লগত খেতি পৰিদৰ্শনত

বোধহয় ১৯৫৩ চনৰ কথা। এদিন হঠাৎ কৃষি-বিভাগৰ মন্ত্ৰী (এতিয়াৰ নহয়, তেতিয়াৰ) শ্ৰীমহেন্দ্ৰমোহন চৌধুৰী বৰ্ত্তিয় ওলালগৈ। আগতে খা-খবৰ দি যোৱা নাছিল, তেখেতৰ সেইটো বোধহয় স্বভাৱে নহয়। সেই-দিনা তেখেতৰ লগত আছিল ৰিফিউজি পুনৰ্বসতিৰ বিষয়া (আৰ. আৰ. ও) শ্ৰীপ্ৰতাপচন্দ্ৰ গোস্বামী। দুয়ো গৈ পুৱা ন-মান বজাত আমাৰ ঘৰৰ সন্মুখত গাড়ী ৰখাই চাহ একোটোপা খাই ললে, আৰু মোকে লগতে ওলাবলৈ কলে। উদ্দেশ্য কি, যাত্ৰা ক'লৈ-তেতিয়ালৈ মোক কোৱা নাছিল। লোধাত গোঁসায়ে কলে— 'মন্ত্ৰী ডাঙৰীয়াই কাউলীত কিমান মানুহ আছে, খেতি-বাতি কেনে হৈছে ইত্যাদি চাব। আগতে কাউলীৰ বিষয়ে কোৱা হৈছে। কাউলী বৰ্ত্তিয়াৰপৰা ২৫।২৬ মাইল দূৰত উত্তৰে ভোটৰ পাহাৰৰ দাঁতিত। মই ভাত-পানী খাই যোৱা ভাল হব বুলি প্ৰস্তাৱ দিলোঁ, উত্তৰত ঘপৰাই মন্ত্ৰী ডাঙৰীয়াই কলে—"নালাগে ব'লক। ভাত বাটত খাম।" মন্ত্ৰীৰ কথাত প্ৰত্যুত্তৰ নাখাটে। তাতে চৌধুৰী ডাঙৰীয়াৰ প্ৰকৃতি মোৰ জনা আছে। তেখেতৰ শৰীৰ আৰু মনত বৰ পেটীয়া মানুহৰ দুৰ্ব্বাৰ শক্তি আৰু আচৰণত খোলা, পোনপটীয়া ব্যৱহাৰ কোনেও লক্ষ্য নকৰাকৈ নথাকে। পিণ্ড-বিধিনি, হুকা-বধাক তেখেতে বালিৰ বান্ধ যেন দেখে। তেখেতৰ লগত একেলগে কৰা কটকৰ অভি-যান কেইবাটাবো স্মৃতি অকল লিখকৰেই নহয়, শ্ৰীহৰিধৰ বসুমতাৰী, শ্ৰীমহেন্দ্ৰ ডেকা, শ্ৰীপ্ৰতাপ গোস্বামী আদি লোকসকলৰো মনত নিশ্চয় চিৰকাল অমলিন হৈ থাকিব।

মুহূৰ্ত্তৰ ভিতৰতে সাজু হৈ হুৰহিপুৰীৰ আৱশ্যকীয় তৎপৰতা দেখুৱালোঁ। জীপত যাত্ৰা কৰিলোঁ তামোলপুৰ—কুমাৰীকাটা অভিমুখে। তামোলপুৰত আনদিনা হলে তেখেত বয়, সেই দিনা কেৱল যোৱাৰাৰ আছেনেকি বুলি বাজাৰ পৰায়ে সুধি গধুলি ঘূৰি আহিব বুলি মহলীক কৈ গুচি গল।

বাটত দুই একোটা গাজাখুৰি গল্প প্ৰত্যেকে কৈছে। কথাৰ ঠেলা-ঠেলি, ঠাট্টামস্কৰাও চলিছে। এটা উল্লেখযোগ্য কথা এই যে চৌধুৰীয়ে চৰকাৰী কৰ্মচাৰীসকলকো মোৰ নোপোৱালৈকে সদায় বন্ধুবৎ ব্যৱহাৰ কৰে। তাতে শ্ৰীপ্ৰতাপ গোসাঁই তেখেতৰ যোলে ল-পঢ়া সময়ৰ বন্ধু; গোসাঁইৰ মুখে শুনিছিলোঁ দুয়ো ল-পঢ়া সময়ত হেনো একেলগে একেটা মেছ'তে আছিল, আৰু আত্মনিৰ্ভৰশীলতাৰ চানেকী কাৰ্য্যত দেখুৱাবলৈ আৰু নায়ে-কামে কংগ্ৰেছ-কৰ্মী হ'বলৈ বুলি দুয়ো কিছুদিন চাকৰ-বাকৰ বা ৰান্ধনি-লগুৱা আদি ৰখা নাছিল। তেওঁলোক দুজনৰ ভিতৰত ফুৰিচাকি যিয়ে আগে আহে তেৱেঁ জুই ধৰি ভাত ৰহাব লাগিছিল। ফলত কেতিয়াবা দুয়ো বাতি বহ বজালৈ ফুৰে আৰু পলমকৈ আহি দুয়ো একেলগে দুখে-ভাগৰে ভাত ৰান্ধিব লগীয়াত পৰে। গোসাঁইৰ লগত তেখেতৰ আগৰে এনে বন্ধুত্ব আৰু সদ্ভাৱ। মই তেখেতসকলৰ বহুকাল পিছৰ। তথাপি কিন্তু ব্যৱহাৰত তেখেতসকলে মোৰ প্ৰতি "প্ৰাপ্তেতু ষোড়শে বৰ্ষে পুত্ৰ-মিত্ৰবদাচৰেৎ" নীতিৰ আৰ্হিত কাম কৰিছিল।

চৌধুৰী ডাঙৰীয়াই গৈ থাকোঁতে এবাৰ সুধিলে, "হয় নে বৰুৱা, আপুনি যোলে আমাৰ বৰপেটীয়া মানুহক তামোলপুৰত মাটি নিদিয়ে। কিয় নিদিয়ে?"

কথাটো ধেমালিৰ ছলেৰে কৈছিল যদিও মন্ত্ৰীৰ ধেমালিৰো অৰ্থ আছে বুলি ধৰি লৈ ময়ো তেনে সুৰতে কলোঁ -"কিয়? প্ৰকৃত তামোলপুৰ অঞ্চলত যেখোন বৰপেটীয়া মানুহে ভৰি আছে। কুমাৰীকাটা আৰু তামোল-পুৰ যেখোন বৰপেটীয়া মানুহৰে 'কলনি'। তেওঁলোকে মাটিত থকা নাই বুলি আপত্তি কৰে নেকি? আজি দেখিব নহয়, মাটি পাইছেনে নাই। পিছে এটা কথা! তামোলপুৰ-কুমাৰীকাটা আদি ঠাইবোৰ কিন্তু 'ট্ৰাইবেল বেল্ট'ৰ ভিতৰত। তাত নতুনকৈ অহা যেইসেই লোকক হকবক নোহো-ৱাকৈ পট্টা দিবলৈ আপোনালোকেই আইন কৰি বাধা দিছে।" তেখেতে শুনি কেৱল কলে, "নহয়, মই কিছুমান মানুহে কোৱা কথাহে কৈছোঁ।" মই উত্তৰ দিলোঁ, "কোৱাত ভাল হৈছে, ছাৰ; মনৰ কথা ওলাই গৈছে; মনটো খোলোচা হৈছে। আকৌ মনত বাখি দিবা দিচাৰে কিবা প্ৰতি-কাৰ কৰিব খুজিলেহে আমাৰ বিপদ। আজিকালি বহুত সময়ত মোৰীক

দোষৰ কথা জানিবলৈ নিদিয়াকৈয়ে তাৰ বিচাৰ আলেঙে আলেঙে শেষ হয়, ফাঁচিবো হুকুম হয়— সেয়ে নহলেই ৰক্ষা।" গোসাঁয়েও মোৰ কথাতেই হয়ভৰ দিলে। চৌধুৰীয়ে একে আষাৰেই কলে "সেইটো কেতিয়াও নহয়।'

কথা আষাৰ শেষ কৰিয়ে তেখেতে কলে—"কিহে, কাকতত আপোনালোকৰ 'এচোচিয়েচন'ৰ কিবা-কিবি বহুত কথা উঠা দেখিছোঁ দেখোন। কথাটো কি? প্ৰমোচনৰ কথা নহয় জানো?. মই কলোঁ, মূঠতে সেয়ে। মই তাকে কোৱাৰ লগে লগে উত্তৰ আহিল—"বাছি বাছি ডেকা চাই চোকা চোকা কৰ্মচাৰী সৰলক প্ৰমোচন দিয়াৰ কথা আমি সিদিনা 'চীফ মিনিষ্টাৰ'ৰ লগত আলচ কৰিছিলোঁ। তেখেতেও সেই বিষয়ে ভাবিছে—পিছে প্ৰমোচন দিলে দেখোন বিছুমানে একো কাম-কাজ কৰিব নোৱাৰে।" মই উত্তৰ দিবলৈ বাধ্য হলোঁ—"আপোনালোকে বাছোঁতে আকৌ সেই একো কৰিব নোৱাৰাসকলকহে বাছে, যাতে পিছত এটা অপযশ দিব পাৰে।" তেখেত আৰু গোসাঁই দুয়ো হাঁহিলে। তেখেতে তেতিয়া কলে "আমি কবোঁ বুলি একো কৰিব নোৱাৰোঁ। 'পাব্লিক চাৰ্ভিচ্ কমিচনে'হে সকলো কৰে।" মই কলোঁ—'কিন্তু বাহিৰৰ ধাৰণা হলে জাকৈয়ে মাছ মাৰে যদিও, খালৈবহে নাম। বজাই ভাল বোলে যাক, ঢেঁকী বুলাও নালাগে তাক।" তেখেতে সুধিলে 'কেনেকৈ?" মই কলোঁ—"তাহানি ঢাকাত পীটচন নামে চাহাবে-ভাল পাই আমীনকে জানো ছবডিপুটী কৰি দিয়া নাছিল? বৰিশালতো এচিষ্টেণ্ট নাজিৰক তেওঁ প্ৰমোচন দি দোলে বিশেষ মেজিষ্ট্ৰেট পাতিছিল।" তেখেতে আকৌ কলে—"কেনেকৈহে?" মই চমুকৈ বৰ্ণনা কৰিলোঁ—"পীটচনবেল তেতিয়া আই, চি, এছ, অফিচাৰ। তাতে ডেপুটী কমিচনাৰ। এবাৰ তেওঁ আমীন, ছবডিপুটী আদিৰ কাম চাবলৈ গৈ এজন আমীনক বৰ পাকৈত পাই কৈ আহিল—"আজিৰেছা বাবু, মই তোমাৰ হাকিম বনাম।" তাৰে কেইদিনমান পাছত চৰকাৰী হুকুম প্ৰচাৰ হ'ল— আজিৰেছা আমীনক ছবডিপুটী কৰা হৈছে। পিছত কিছুদিন ঘোৰাত কাম চলাব নোৱাৰা দেখি সকলো লোকৰ আপত্তিত আজিৰেচাক চাহেবে মেজিষ্ট্ৰেট বনাই দি আকৌ প্ৰমোচনহে দিলে। তাতো আইন-তাইন একো, হুবুজা কাৰণে উকীলসকলে আৰু বাহিৰে মোৰ আপত্তি

কৰিলত চাহাবে এইবাৰ তেওঁক হেনো এটিচৈষ্ট এছ, ডি, ও কৰি দি মহকুমাৰ সকলোবোৰ বাটোৱাৰা মোকৰ্দ্দমা চাবলৈ দিলে। তেওঁৰ নাম হ'ল বাটোৱাৰা এচ. ডি. ও। আজিলৈকে চাই আমীন হিচাপেই বাটোৱাৰাৰ কাম জানিছিল। গতিকে তেওঁ সুকলমে কাম চলাই যথাসময়ত 'অৱসৰ' ললে। এইদৰে অইন চৰকাৰেও যাক কৃপা কৰিব খোজে তেওঁক কাৰণে বাটোৱাৰা এছ. ডি. ওৰ কাম তৈয়াৰ কৰিব পাৰে।" মন্ত্ৰী ডাঙৰীয়া আৰু গোসাঁয়ে অলপ হাঁহিলে। মন্ত্ৰী ডাঙৰীয়াই মোক উদ্দেশ্য কৰি কলে— "আপোনালোকে সেইবোৰ কথা চৰকাৰক বুজাই নকয় কিয়?" উত্তৰত মই কলোঁ—"কলো নহয় আপোনাক। অন্তক কলে "উল্টা বুজিলি ৰাম" হয় বুলি ভয়।"

(২)

ইমানতে আমি গৈ কুমাৰীকাটা পালোঁ। কুমাৰীকাটা বঙিয়াৰ উত্তৰে, বাইছ মাইল দূৰত। তাত চৰকাৰী কৰ্ম্মচাৰী জিৰাবৰ কাৰণে ডাকবঙলা নাই। অথচ তাত নোবোৱাকৈ কাউলী, ডোঙ'বগাঁও আদি ঠাইবোৰলৈও যোৱা টান। সকলোৱে গৈ সাধাৰণতে সেই ঠাইৰ মাৰোৱাৰীৰ দোকান এখনত জিৰণি লৈ সেই দোকানৰ মেনেজাৰ শ্ৰীবৃন্দেশ্বৰী উপাধ্যায়ৰ অযা-চিত অভ্যৰ্থনা গ্ৰহণ কৰে। আনকি কেন্দ্ৰীয় চৰকাৰে পঠোৱা শ্ৰীপ্ৰকাশ কমিটিক কাউলীলৈ নিয়া সময়তো তাতেই জিৰণি-বাহৰ তৈয়াৰ কৰা হৈছিল। আমিও তাতে নামিলোঁহক।

শ্ৰীবৃন্দেশ্বৰী উপাধ্যায়ক এই নামত তাঁৰ অতি কম লোকেহে জানে। তাত তেওঁ মহাৰাজজী বুলিহে জনাজাত। মহাৰাজজী সেই পিছপৰা অঞ্চলৰ সঁচাকৈয়ে মহাৰাজেই। তাত স্থানীয় চাণ্ডাল, কছাৰী আদি মানুহবোৰে তেওঁক প্ৰজাই ৰজাক মনা দিয়ে। কাৰ্ভালহো চাহাবে তেওঁক চাণ্ডাল ৰজা বুলিছিল।

উল্লেখযোগ্য কথা এই যে শ্ৰীপ্ৰকাশ কমিটি কাউলীলৈ যোৱা সময়ত বাৰিষা নামিছিল। শিলঙৰ পৰা নিৰ্দ্দেশ দিয়া সত্বেও গড়কাপ্তানি বিভাগে জনাই দিলে যে কাউলীপাৰলৈ 'জীপ' চলাব পৰা ৰাস্তা সেই সময়ত নিৰ্ম্মাণ কৰা কোনো প্ৰকাৰে সম্ভৱ নহব। ইফালে কমিটিক কিছুদূৰ বাস্তাৰে

মিলিলেও নহয়; তাকে কৰিব নোৱাৰিলে কাউলী যে সঁচাকৈয়ে দুৰ্গম ই জলজল্‌পটপ্‌টকৈ প্ৰমাণ হব। এনে অৱস্থাত তেতিয়াৰ ডি. চি. কাৰ্ভালহো চাহাবে মোক সকলো কথা বুজাই কৈ ৰাস্তাৰ কি ব্যৱস্থা হয় এটা কৰিব লাগে বুলি কলে। মই গৈ মহাৰাজৰ লগত আৰু সেই ঠাইৰ অন্যতম সম্ভ্ৰান্ত লোক নেউলী বাবুৰ লগত আলচ কৰাত দুয়ো কলে, "কিয় নহব? ৰাস্তা বাৰিষাও হব। আপুনি ডি. চিক নিৰ্ভয় দি কব যে ৰাস্তা কৰা হব।" কাৰ্য্যক্ষেত্ৰতো সঁচাকৈয়ে চাওতালবোৰক লগাই তলত বন-পাতবোৰ দি ওপৰে ওপৰে এলো চাম মাটিৰে মটৰ নিব পৰা দুমাইল ৰাস্তা তেওঁলোকে দুসপ্তাহৰ ভিতৰত নিৰ্ম্মাণ কৰি দিছিল।

শ্ৰীজে. বি. প্ৰধান ভোটান ৰজাৰ প্ৰতিনিধি। তেওঁৰ কুমাৰীকাটাত ঘৰবাৰী আছে। নেউলীতো ঘৰ আছে কাৰণে লোকে তেওঁক নেউলীবাবু বুলিহে মাতে। নেউলীবাবুই কমিচনক লৈ আগে আগে মটৰ চলাই নিবলৈ গাত ললে। মহাৰাজ্জী আৰু নেউলীবাবুৰ সেই ঠাইডোখৰত এনেহে প্ৰতাপ।

(৩)

কুমাৰীকাটা পাবৰে মই ওচৰৰ শ্ৰীকালুচ গাঁওবুঢ়াৰ হাতীটো খবৰ কৰিলোঁ। কাৰণ, বাট দুগম। হাতীৰে অহাযোৱা সুচল হয়। অৱশ্যে হাতীত ভ্ৰমণ কৰাও কম কষ্টকৰ নহয়। তথাপি আমি কুমাৰীকাটাত এই হাতীটো আৰু তামোলপুৰত শ্ৰীশান্তিৰাম ডেকা মৌজাদাৰৰ দঁতাল পোৱালিটো আৱশ্যকমতে খুজিলেই পাওঁ আৰু লওঁ। সকলো বিভাগৰ কৰ্ম্মচাৰীয়ে এই সুবিধা ভোগ কৰে। আজিকালি অৱশ্যে ৰাস্তা-পদুলি হোৱাত অহা-যোৱাৰ সুবিধা হৈছে। তেতিয়া কিন্তু ৰাস্তাৰ চিনহে আছিল, দুয়োকাষে খাওঁ-খাওঁ মূৰ্ত্তি-ধৰি-থকা দীঘল পাতৰ জলল।

হাতী পালোঁ। তিনিও খাই বৈ উঠি এটা হাতীতে যাবলৈ স্থিৰ কৰিলোঁ। মাউতেসৈতে আৰোহী চাৰিজন হাতীও শক্ত। মাউতটো আছিল চাওতাল মানুহ; অসময়তে উপজিছে আৰু অসমীয়া হৈছে। হাতীত উঠা সময়ত বোধকৰো দুইমান বাজিছিল। আমি হবেক 'ৰকবৰ গল্প কৰি গৈ আছোঁ। মাউতৰ পিছতে চৌধুৰী জাৱেমীয়াঃ' তেওঁতেৰ

পাছত গোসাঁই ; সৰ্ব্বশেষত মই। হাতীৰ পাছত মহাবতৰ অসুবিধা নাই। কেতিয়াবা পৰি যাওঁ, পৰি যাও লাগে। তেতিয়াবা হাতীৰ মুৰৰ ওপৰেদি গৈ সন্মুখত দুটি খাই পৰিব খোজোঁ। মইহে ধৰিলে আৰু বাৰণ কৰিলে। ধৰিলে।

মাউতৰ মুখৰপৰা তেতিয়া ফেনজ পানীৰ ফেকেৰী-জেকেৰি বাট এটা ওলাই আছিল। মন্ত্ৰীয়ে অলপদূৰ গৈয়ে সুধিলে, "মাউত, তোৰ মুখখন গোন্ধাইছে যেখোন অ', কিবা নিচা-তিচা খাইছ নেকি?"

মাউতে কলে—'নাই দেউতা, নিচা কত পাবি আৰু? মুখীয়া মানুহে কোনে দিব? সেই সব কব নোৱাৰো।"

—'তেন্তে তোৰ মুখত কিহৰ গোন্ধ?' উত্তৰত মাউতে কলে—'গোন্ধ পাইছে যদি হাতীয়ে খাইছে কিজানি; হুজুৰ।'

—ধেৎ, হাতীয়ে নিচা খায় নেকি?

- খায় দেউতা। এই দেৱীলাল হাতীয়ে ৰৰকৈ নিচা বিচাৰি ফুৰে।

- হয়, হাতীয়ে নিচা বিচাৰে! হাতীয়ে খাওক বাৰু, তোৰ মুখ গোন্ধাল কিয়? তই নিশ্চয় ফাকি দিছ।

- নহয় দেউতা ফাকি আৰু কি দিম, হাতীয়ে খাই ও'ৰৰ পানী মোৰ গাত মাৰে নহয়। সেই দেখি গোন্ধাইছে।

গোসাঁই আৰু মই দুয়ো মন্ত্ৰী-মাউতৰ কথোপকথন শুনি হাঁহিছিলোঁ। মই এবাৰ ঔৎসুক্য সামৰিব নোৱাৰি কলো—'হাতীয়েও সঁচাকৈ নিচা খায় নেকি?'

চৌধুৰীয়ে কলে—"দেৱীলাল হাতীয়ে খায় আৰু খালে মাউতৰ মুখ গোন্ধায়!" আমি আকৌ হাঁহিলোঁ। এইবাৰ মাউতেও হাঁহিলে।

গোসাঁয়ে কলে—'হয়, এনেকুৱা কথা কেতিয়াবা ঘটে।. মই তেতিয়া হাইস্কুলৰ মাষ্টৰ। এদিন ক্লাচ টেন্'ত এটা দুষ্ট ল'ৰাই ঘৰত অংক কৰি অনা নাছিল। মই তাক পাচ বেত দিম বুলি বেত লৈ হাত পাতিবলৈ কলোঁ। শিশু পোনেই হাতখন আগ বঢ়াই দিলে। বেত মাৰিবলৈ নৌ-পাওঁতেই দেখো তাৰ হাতত চেক, ধপাতৰ চেক। দুযোধনৰ হাত চাই দেখো দুযোধন হাতত্তেই। মই কলোঁ, "তই আৰু মনাৰ বাবে পাঁচ আৰু ধপাত খোৱাৰ বাবে আৰু পাঁচ বেত খাব লাগিব।" দি টপৰাই উঠিল

দিলে—"অহঙ্গ ছাৰ, অক নবাৰ বাবে মোক বেত দিয়ক, কিন্তু ধপাত খোৱাৰ বাবে মই বেত খাব নালাগে।"

মই সুধিলোঁ।—"তেন্তে কোনে খাব ল্যগে ? চিলিমটোৱে ?"

সি কলে—"বিশ্বাস কৰে যদি কওঁ ছাৰ; নহলে আপুনি বেত দিব খুজিছে বেতিয়াতো দিবই। ওলোৱা হাতীৰ দাঁত জানো কেতিয়াবা আকৌ ভিতৰ সোমায়। পিছে তাক কাটি চুটি কৰিব পাৰি। আপুনিও ইচ্ছা কৰিলে মোক পাঁচ বেতৰ ঠাইত এক বেত দিব পাৰে।"

মই সুধিলোঁ—তেন্তে তই কব খোজা নেকি—তই ধপাত খোৱা নাই ?

সি কলে "সঁচাকৈয়ে খোৱা নাই ছাৰ।"

—"তেন্তে তোৰ হাতত চিন ৰহিল কেনেকৈ ?" সি কলে—"ছাৰ, কালি দেওবাৰে বৰ গৰম আছিল। দুপৰীয়া মই ভাত-পানী খাই উঠি বাহিৰা ঘৰৰ বেঞ্চি এখনত শুইছিলোঁ। ফুৰ ফুৰ্ কৈ বতাহ লগাত টোপনি আহিছিল। তেতিয়া কোনোবা দুষ্ট মানুহে আমাৰ তালৈ আহি মোৰ হাতখনত চিলিম দি ধপাত খাইছিল। মই শুই উঠি দেখোঁ মোৰ হাতত ধপাতৰ চিন। হাতখন ধুই পেলায়ো দাগ খেদাব নোৱাৰিলোঁ। ইয়াকে কয় ছাৰ—দুষ্টৰ লটপট, শান্তৰ মৰণ। কোনোবাই ধপাত খালে, কোনোবাই এতিয়া বেত খায়। এক ৰবাই ধান খায়, এক ৰবাই হান খায়।"

মই কলো—"দুষ্ট ! তোৰ দেখোন মুখেদি সাহিত্য বাহিৰ হব লাগিছে। তই ভাবি চাচোন, তই কিজানি টোপনি অহাত কোনোবাই ধপাত খোৱাটো সপোনত দেখিছিলি ? মনত কৰচোন ধপাত খোৱা মানুহজন তোৰঘৰে আছিল নেকি ?

সি কলে "হয় ছাৰ তেনেকুৱা লাগিছে।" মই কলো।—"এতিয়া তই তাক বেত লবলৈ দে।" এই বুলি মই তাক এটা কোৰ মাৰি এৰি দিলো।

(২)

অন্য ভাণ্ডাৰীয়াই কলে—"বৰুৱাই কওকচোন বাক মঙ্গলৰ বুদ্ধিৰ কথা। দুই এটা কওক।"

অসাৱধান অৱস্থাত ৰহি থকা সময়ত্তাক হঠাৎ সভাপতিয়ে অনুৰোধ কৰাই কওক বুলি আদেশ দিলে যেনে লাগে, মোৰ তেনে লাগিল। তথাপি মযো এটা

দুটি ঘটনা কওঁ। তেতিয়া শ্ৰীযুত দুৰ্গেশ্বৰ শৰ্মা আছিল বোধহয় কামৰূপৰ ডেপুটী-কমিচনাৰ। ছয়গাঁৱত আছিল আমাৰ এজন বিখ্যাত ছুবডেপুটী কলেক্টৰ। শৰ্মাৰ ইচ্ছা হ'ল, এদিন গৈ ছয়গাঁৱৰ চাৰ্কেল অফিচাৰৰ মেৰ-ঘৰটো চাবলৈ। তেওঁ এছ ডি চিক খবৰ দিলে হাতী এটা যোগাৰ কৰিবলৈ। লগে লগে তেওঁ কৈ পঠালে—মণ্ডল - কানুনগোসকলো তাত থাকিব লাগে—তেওঁ কাম চাব।

যথাসময়ত মণ্ডল-কানুনগোসকল গৈ মেৰঘৰৰ ওচৰত থাকিল। ডি চি শৰ্মা ডাঙৰীয়াই এটি পোৱালি হাতীত উঠি মেৰঘৰৰ ওচৰ পালেগৈ। কি দুৰ্ভাগ্য, হাতীৰ পোৱালিটো বেগাই গৈ থাকি মেৰঘৰৰ ওচৰত হয়-থকতে বৈ যোৱাত শৰ্মাডাঙৰীয়া ওকৰি গৈ মাটিত থেকেচা খাই পৰিল। তেওঁ যথেষ্ট কষ্ট পালে আৰু কোনোমতে মাটিৰপৰা উঠি পোছাকৰ মাটি-বোৰ গুচাই কাম মাচাওঁ বুলি উভতিল। ছয়গাঁও ডাকঘৰখানাত দুখপোৱা ঠাইত বেণ্ডেজ কৰাই লৈ গুৱাহাটী পালেগৈ।

পিছ দিনা ছব্‌ডেপুটী কলেক্টৰ তেখেতৰ খবৰ লবলৈ যোৱাত তেখেতে স্বভাৱসুলভ মিহি ভাষাত কলে—"হেৰি মজুমদাৰ, আপুনি আপোনাৰ মণ্ডল-কানুনগোসকলক সুধিবচোন সিদিনা মই হাতীৰপৰা মাটিত পৰি দুখ পোৱা সত্বেও তেওঁলোকে দেখোন নাই হিলেও অ'ক মেক' মুতুলিলেও। ইয়াৰ কাৰণ কি? আপুনি মোক কবহি দেই।"

পিছ দিনা মজুমদাৰ এছ ডি. চিয়ে কলেহি—"ছাৰ, তেওঁলোকে কলে চাহাবসকলে হেনো ঘোঁৰা বা হাতীৰপৰা পৰিলে কোনোবাই যদি তোলেগৈ তেনেহলে বৰ খং কৰে। তাহানি মেকচুইনি চাহাবে বোলে তাকে কৰিছিল। গালি পাৰি ধমক দিছিল। আৰু আপুনি হাতীৰপৰা পৰা দেখি বাৰু কোন মণ্ডল-কানুনগোই হাহিব পাৰে?"

শৰ্মাই কলে—"হেৰি, আপোনাৰ মণ্ডল-কানুনগোসকলে তো জানে মই দুৰ্গেশ্বৰ শৰ্মাহে; মেকচুইনি চাহাব নহওঁ। তেনেহলত বাৰু তেওঁলোকৰ তেনে ধাৰণা হব পাৰেনে? বাৰু থাওঁক এই বাবলৈ। ভৱিষ্যতলৈ তেওঁ-লোকক কব—মহো অসমীয়া চাহাবহে; পৰিলে দুখ পাওঁ আৰু কোনোবাই সহানুভূতি দেখুৱালে ভাল পাওঁ।" এইবিলাক শুনি মজুমদাৰৰ যাতেনি আমি হঁহ লৈ কেতিয়াবা পালোঁ। ভাবপৰা অসাধু মূৰলৈ কাহিনী। কথা দুটিয়া-

যেনে তেনে এখন বাৰীৰ কাষেদি হাতী বাৰলৈ খন্দিলে। হাতীৰ আলবকলা চৌধুৰী ডাঙৰীয়াই ঘৰ এখনৰ কাষৰাক চিনিব পাৰি মাত লগালে। গিৰি-হঁত ওলাই আহিলত তেওঁ হাতী ৰখাই সুধিলে—"আপোনাৰ ইয়াত কিমান দিন হ'ল? মাটিৰ পট্টা পাইছনে নাই?"

মানুহজনে উত্তৰ দিলে—"এথানো পাওঁৱা নাই।"

মই মাজতে মাত দিলোঁ—"আপোনাৰ নাম কি আৰু কিমান দিন ইয়াত আছে কওঁকচোন। মই বাৰু পট্টা কিয় হোৱা নাই চামগৈ। খাজানা দিছেনে নাই?"

তেওঁ তেতিয়া ইফালে সিফালে চাই উত্তৰ দিলে—"এইখিনিৰ পট্টা পাইছোঁ; খাজনাও দিছোঁ। সৌখিনিৰহে পোৱা নাই।"

—দৰ্খাস্ত কৰিছেনে?' মই সুধিলোঁ।

—হয়, কৰিছো। মহৰীৰ হাতত পইচা দি আহিছো।

—কাগজত চহী দিছে নে নাই?

—নাই। মহৰীয়ে যি দিব লাগে দিব নহয়। মই দহটকা দি আহিছোঁ মোৰ নাম তেওঁ জানে।

মই কলোঁ—"এইদৰে নহয়। দৰ্খাস্তখন অন্ততঃ নিজে দি আহিব লাগে। নিজে তাত চহী দি বা টিপচহী দি দৰ্খাস্তত কি লিখা হৈছে—বুজি বাজিহে দাখিল দিব লাগে।"

উত্তৰত মানুহজনে কলে—"আমাৰ নো সময় ক'ত? মহৰীকে গতাই দিছোঁ। তেঁৱে যি কৰে।"

মই মানুহজনক পুনঃ দৰ্খাস্ত দিবলৈ কলোঁ। মন্ত্ৰীডাঙৰীয়াই হাতী চলা-বলৈ মাউতক নিৰ্দেশ দিলে। আমি আকৌ বাৰলৈ খন্দিলো।

গৈ গৈ এখন কছাৰী-বস্তি পালোঁ। মন্ত্ৰীয়ে হাতী ৰখাই গিৰিহঁতক সুধিলে—"ককাই, এইবোৰ মাটিৰ খাজনা দিয়ানে নিদিয়া?"

গিৰিহঁতবাই কলে—"নিদিম নো আকৌ কিয়? এইবাৰ খাজনা নিদিয়া হুনি আকৌ লৈব আহিছা নেকি? দিনে দিনে খাজনা বাঢ়িহে আছে দেখোন।"

মন্ত্ৰীয়ে কলে—"কিমান খাজনা দিছা?"

—[illegible] এই [illegible] মাটিত এইবাৰ [illegible]

পাঁচটকা ভৰিছিলোঁ। এইদৰে বাঢ়ি থাকিলে আমি ঘৰৰ প্ৰজা উঠাব পৰা উঠি যাবহে লাগিব।"

কৌতূহলবশতঃ মন্ত্ৰী ডাঙৰীয়াই তেওঁক আলে হুয়ে সুধিলে—"মাটিৰ আছে?"

—"আছে। দুয়োখন আছে। আৰু কিভাবে নিজ ঘৰ এইবাৰ দিব নোৱাৰিম।"

মন্ত্ৰী ডাঙৰীয়াই কলে—"ও'লৰকৈ পৰীক্ষা কৰি চাওক,' বৰকথা; আচলতে খাজনা'ই মায়া ধৰিছে। আপোনাৰ মণ্ডলে ভুলৈৰ পৰ্যায় কৰে। ছি. ছি. কে পানী খুৱায়, আৰু এইবোৰক কি কথা?"

মই কাগজবো'ৰ অনাই দেখোঁ যে নোটিছবোৰ বেৰখলি মোকৰ্দমাৰ, আৰু বছৰিদ জৰিমনা আদায়বহে; খাজনাৰ নহয়। মোৰ কথাবোৰ বুজিবলৈ বাকী নথকিল। মই মন্ত্ৰীডাঙৰীয়াক কথাটো খোৰত্তে বুজাই দি মানুহজনক সুধিলোঁ— বন্ধাই, তুমি মাটি পাবৰ কাৰণে কেতিয়াবা দৰ্খাস্ত কৰিছিলা নে?"

উত্তৰত তেওঁ কলে—"নাই।"

—মণ্ডলে জানো কোৱা নাছিল?

—কৈছিল। পিছে, মণ্ডলকনো বিশ্বাস কৰো কেনেকৈ? আৰু বা কি বিপাকত পৰোঁ। এইদৰে ঘৰতে খাজনা দিয়াই ভাল। পিছে ৰবকৈ বাঢ়ি থকা কাৰণেহে নিৰুপায় হৈছোঁ।

মই কলোঁ—"বাৰু, আগতে যি হ'ল হ'ল! এইবাৰ এখেত মন্ত্ৰীমহোদয় নিজে আহিছে— এইবোৰ চাবলৈ। দৰ্খাস্ত দিলে এইবাৰ হব। মোৰ অফিচত মোৰ হাতত দৰ্খাস্তখন দি আহিবা। দৰ্খাস্ত দি পট্টা নোপোৱাকৈ বহা কাৰণে তোমাক জৰিমনাহে কৰিছে—তুমি পিয়াদাক দিয়া টকা খাজনা নহয়— জৰিমনা। দৰ্খাস্ত এইবাৰ নিদিলে কিন্তু মহা বিপদ হব। পুলিচে তোমাৰ ঘৰ ভাঙি দি তোমাক উচ্ছেদ কৰিব।"

',দৰ্খাস্ত দিম বাৰু দেউতা" বুলি মানুহজন ঘৰ লোমাল। আমিও যাবলৈ ধৰিলোঁ।

কাউন্সী পাই দেখা গল দুবৰ এখন পথাৰত যেন কোনোবাই এখন বিজোণৰ খণ্ডা বৰিয়াছে পাখি বান্ধিছে মন্ত্ৰী ডাঙৰীয়াক আৰতি জনাবলৈ

জনাবলৈ। ক্ৰমে ওচৰলৈ গৈ দেখোঁ এবেংগেতীয়া ওখ গছবোৰত বঙা জলকীয়া ওৰি লাগি আছে। কোনোজোপা গছত পাত দেখিবলৈয়ে নাই। জলকীয়াবোৰ বগাও বঙা কোৰাভাতুৰীয়া বঙা। মই কলোঁ—"এইখন বিষুৰ গাওঁ।" মন্ত্ৰীডাঙৰীয়াই শোনেই কলে—"কি বিষুহে?" গোসাঁয়ে হাঁহি উত্তৰ দিলে—"বিষু কি নাজানে? বিফিউজিক এই অঞ্চলত বিষু বোলে। এনেতে ওচৰৰ পৰিয়াল এটাৰপৰা গিৰিহঁতজন ওলাই আহি আমাক সনম্ৰ অভিবাদন জনালে। কাছাৰ জিলাৰ চহা লোকৰ আৰু বিফিউজিসকলৰ ককাল ভাঙি, হাত যোৰকৈ দিয়া নমস্কাৰটো অসমীয়া লোকৰ চকুত কেনেবা কেনেবা লাগে। তথাপি ই কিন্তু নম্ৰতাৰে পৰিচায়ক।

মই তেওঁক কলো—"এখেত আমাৰ অসমৰ কৃষি মন্ত্ৰী শ্ৰীযুত মহেন্দ্ৰমোহন চৌধুৰী।" তেওঁ আকৌ নমস্কাৰ জনালে। আমি হাতীৰ পিঠিৰপৰা তলৈক নামিলোঁ। মন্ত্ৰীমহোদয়ে ভগনীয়াসকলৰ লগত কথা পাতিলে। তাৰে এজন মানুহে নিভাজ অসমীয়া মাত মাতিছিল। মন্ত্ৰীডাঙৰীয়াই আচৰিত হৈ সুধিছিল—"আপুনি এনে সুন্দৰ অসমীয়া মাত কথা ক'ত শিকিলে?"

উত্তৰত সেই মানুহজনে কলে—"সেউতা, পাকিস্থান কাহানিবাই এৰি বয়-বস্তু নকলো লৈ আহিলো যেতিয়া, অসমীয়া কথা নকৈ অসমীয়া মানুহৰ লগত মিলি নগৈ থাকিলে জানো কিবা লাভ হব? আমাৰ পূৰ্ব্ব পুৰুষসকল জানো বঙ্গদেশৰ আছিল? কোনে জানে যে তেওঁলোকো হয়তো এদিন অসমৰ কোনোবা প্ৰদেশৰপৰা পেটৰ দায়ত বঙ্গদেশলৈ আহি বঙালী হৈ পৰা নাছিল? এতিয়াকে আমাৰ মতেৰে সেইতো যি দেশৰ অন্ন জলেৰে আমি পোহপাল লাভ কৰোঁ সেয়ে আমাৰ দেশ; সেয়ে মাতৃভূমি।"

মন্ত্ৰীডাঙৰীয়াই মানুহজনৰ কথাখিনি শুনি স্তব্ধ হোৱাৰ দৰে হ'ল। তেওঁ মোৰহে সন্দেহ কৰিছিল—মানুহজন হয়তো কথাৰ ধূৰ্ত্ত-টেটাটিও ভগনীয়া—; চলাহী কথাৰে মুখৰ মাখিয়ে মাৰিছে। কিন্তু সুধিপুচি জানিব পাৰিলে যে সেইজন লোকেই সেই চুবুৰী ভগনীয়াৰ মুখিয়াল লোক আৰু সেই অঞ্চলৰ উৎকৃষ্ট কৃষক। এবিধা মাটিত তেঁৱেই হেনো সৰহ খিনিখিনিকৈ ওঁটৰ মোন-খাৰু পাইছিল। মন্ত্ৰীমহোদয়ে সেই খেতিয়কৰ নামধাম আৰু সেইসৰ চোকা-কটীত লিখি ললে। পিছত খবৰ কৰি জনা গৈছিল—চৰকাৰৰপৰা সেই খেতিয়কজনে এটা নতুন ধৰণৰ আবিষ্কাৰ পুৰস্কাৰ পাইছিল।

সেইদিনা আৰু বেছি ঠাই চোৱা নহ'ল। গধূলি হোৱাত কুমাৰীকাটাৰে ঘূৰি অহা হ'ল। ঘূৰি আহোঁতে মন্ত্ৰীমহোদয়ে কলে—"গোস্বামী, মানুহ চিনা বাস্তবিকে বৰ কঠিন। অভিজ্ঞতাৰ দৰকাৰ। এছ, ডি, চিলকলে কিন্তু ঘেতা খাই খাই বহুত কথা শিকে।" মই উত্তৰ দিলোঁ—"তথাপি সিংহঃ পশুৰেব নান্যঃ।" গছ বিৰিখত বোধহয় এতিয়াও প্ৰতিধ্বনি বাজি উঠে 'তথাপি সিংহঃ পশুৰেব নান্যঃ।

মদন আর বসন্ত

শ্রীঅতুলচন্দ্র বরুয়া

প্ৰকাশক :
শ্ৰীকৃষ্ণনাথ দাস
গুৱাহাটী

মূল্য : পাঁচ টকা

প্ৰথম প্ৰকাশ—১৯৬১, জুন
দ্বিতীয় প্ৰকাশ—১৯৬৫, জুন
পঞ্চম প্ৰকাশ—১৯৭৬, আগষ্ট

মুদ্ৰক :
শ্ৰীকালীচৰণ পাল
নৱজীৱন প্ৰেছ
৬৬ গ্ৰে ষ্ট্ৰীট, কলিকতা-৬

অৰ্পণ

শ্ৰীদীননাথ চক্ৰবৰ্ত্তী গুৰুদেৱৰ কৰ-কমলত
কৃতজ্ঞ অন্তৰৰ শ্ৰদ্ধা সহকাৰে।

নিবেদন

সৃষ্টিত মদন মৰিও অমৰ, ভস্মীভূত হৈও পুনৰ্জ্জীৱিত। ৰতিপতি মদনৰ প্ৰভাৱো মনৰ মনত তদনুৰূপেই। যোগীৰাজ মহাদেৱে বিষ্ণুৰ মোহিনী নাৰী মূৰ্ত্তি দৰ্শনত বাতুল হৈ আৰু তপস্যা-মগ্ন মুনিসকলে স্বৰ্গৰ অপেশ্বৰী সকলৰ ছলনাত বাৰে বাৰে তপোভ্ৰষ্ট হৈ তাৰ উজ্জল উদাহৰণ যোগাই আহিছে।

জীৱনৰ খোকোল-টঁকা ভৰ-যৌৱন প্ৰকৃতিৰ 'ঋতুণাং কুসুমাকৰঃ' বসন্তৰ দৰেই শক্তি সামৰ্থ্যৰ পূৰ্ণ-পৰিচায়ক। অনুপানে আয়ুৰ্ব্বেদিক ঔষধৰ গুণ, আৰু বায়ুৰ সংযোগে বহ্নিৰ বল বঢ়োৱাৰ দৰে বসন্তয়ো মদনৰ লগত সহযোগ কৰি সদায় মদনৰ শক্তি বঢ়াই আহিছে। মদন আৰু বসন্ত দুয়ো সৃষ্টিকৰ্ত্তা ভগৱানৰ সৃষ্টিত নিৰত থকা দুখন সবল বাহু স্বৰূপ। দুয়োৰো সংযুক্ত প্ৰাণীপুঞ্জৰ অন্তৰত যেওঁ সৃষ্টিৰ বীজ ৰোপণ কৰে, আৰু তাতেই লুকাই থাকে প্ৰজাপতিৰ ৰহস্যময় নিৰ্ব্বন্ধ। মদন আৰু বসন্তৰ আলোচনা সেইবাবেই প্ৰজাপতিৰ নিৰ্ব্বন্ধ সম্পৰ্কীয় আলোচনাৰ এটি বিশেষ পৰ্ব্ব। আমাৰ এই 'মদন আৰু বসন্ত'ও সেই হেতুকে তাৰ পূৰ্ব্ববৰ্ত্তী 'প্ৰজাপতিৰ নিৰ্ব্বন্ধ'ৰে ক্ৰম-বিকাশ মাত্ৰ।

'মদন আৰু বসন্ত', গল্প আৰু আলোচনা —এই দুই ভাগত বিভক্ত। উপাখ্যানক প্ৰাধান্য দিয়া কাৰণে আলোচনাবোৰো গল্প-প্ৰধান হৈ পৰিছে। 'প্ৰজাপতিৰ নিৰ্ব্বন্ধ'ৰ দৰে ইও ৰসজ্ঞসকলৰ সমাদৰ লভিলেই লিখকৰ শ্ৰম সাৰ্থক হব।

'মদন আৰু বসন্ত' ৰচনাত ফ্ৰয়ড, ছফেনহাৱ, উইল ডুৰাণ্ট, ড° নৰ্মেন হেয়াৰ, ড° বাৰ্ণহাৰ্ড বুভাৰ, হেভেলক এলিছ, ৰবাৰ্ট ডাউনাৰ্চ, মেয়াৰ, ওৱেষ্টাৰমাৰ্ক, বিলিংটন, ফিঙ্ক হলেও ডেভিচ, বাৎস্যায়ন, স্বামী বিবেকানন্দ, সুকুমাৰ বন্দোপাধ্যায়, হীৰেন্দ্ৰ দত্ত, শৈল চক্ৰবৰ্ত্তী, ড° কাকতি, দেশভক্ত তৰুণৰাম ফুকন আদি মনীষীসকলৰ বিখ্যাত প্ৰামাণ্য গ্ৰন্থৰ অনেক কথা আৱশ্যকমতে গ্ৰহণ কৰা হৈছে। হাতে লিখা অৱস্থাত ইয়াক আমাৰ হিতাৰ্থী বন্ধু ঔপন্যাসিক প্ৰেমনাৰায়ণে আৰু কবি শ্ৰীনৱকান্ত বৰুৱাই পঢ়ি চাই দিহা-পৰামৰ্শেৰে আমাক উৎসাহিত কৰিছে। অগ্ৰজপ্ৰতিম বন্ধু শ্ৰীমুক্তিনাথ বৰদলৈ আৰু তেখেতৰ সুযোগ্য পুত্ৰ শ্ৰীশচীনাথ বৰদলৈয়ে আৰ্হি-কাকত চোৱাৰ উপৰিও নানাপ্ৰকাৰে উৎসাহ-উদগনি দি আছে। বেটুপাতৰ ছবিটো শ্ৰীমান দিবাকৰ চৌধুৰীৰ্পৰা শ্ৰীনৱকান্ত বৰুৱাৰ সৌজন্যত পোৱা হৈছে। এই সকলোৰে ওচৰত আমাৰ হিয়া-ভৰা শলাগ জনাই 'মদন আৰু বসন্ত'ক ৰাইজৰ আগলৈ 'মিনতি হামাৰী' স্বৰূপে আগ বঢ়োৱা হ'ল। অলমতি বিস্তৰেণ।

শিলং
১লা জুন, ১৯৬১

ইতি
শ্ৰীঅতুলচন্দ্ৰ বৰুৱা

মদন আৰু বসন্ত

প্ৰথম খণ্ড

[গল্প]

নাৰীৰ বিজয় পতাকা

অইন সকলো ক্ষেত্ৰতে পুৰুষে নাৰীক চেৰ পেলালেও প্ৰেমৰ দ্বৈৰথ সমৰথলত হলে নাৰীয়েইহে সদায় ৰথৰ বাঘজৰী ধৰি ইচ্ছামতে ৰথ চলায়, তাত সন্দেহ নাই। কথাটোৱে পুৰুষৰ পুৰুষত্বত এটা বাঘ ঢকা মাৰে যদিও, ইতিহাসে কিন্তু এই বিষয়ত নাৰীৰ ফালেই সদা-সৰ্ব্বদা হয়ভৰ (ভোট) দি আহিছে। এটা বা দুটা উদাহৰণ দিলে কথাটো স্পষ্ট হৈ উঠিব।

কথিত আছে যে মহাবীৰ আলেকজেণ্ডাৰৰ দৰে উগ্ৰ প্ৰকৃতিৰ সেনাপতি এজনাও তেওঁৰ এগৰাকী গুপ্ত প্ৰেয়সীৰ প্ৰতি অতিশয় আসক্ত আছিল। প্ৰণয়িনীৰ পত্ৰ পাই হেনো তেওঁ কেতিয়াবা ৰণৰ মাজতো প্ৰেয়সীৰ ৰূপ ধ্যান কৰি আত্মবিস্মৃত আৰু কৰ্ত্তব্যবিমুখ হব লগীয়াত পৰিছিল। জীৱনত নাৰীৰ দুৰ্নিবাৰ আকৰ্ষণে আলেকজেণ্ডাৰক যিদৰে মতলীয়া কৰিছিল, অন্য কোনো শক্তিয়ে তেনে কৰিব পৰা নাছিল। অৱশ্যে তেনেবোৰ দুৰ্ব্বল মুহূৰ্ত্তৰ কথা সোঁৱৰণ কৰি তেওঁ যে কেতিয়াবা অনুতাপ কৰা নাছিল এনেও নহয়!

সেই সময়ৰ জ্ঞানী পণ্ডিত এৰিষ্টটোলে আলেকজেণ্ডাৰৰ এই দুৰ্ব্বলতাৰ কথা শুনি তাৰ বাবে তেওঁক এবাৰ কথা-প্ৰসঙ্গত বৰকৈ গৰিহণা দিছিল। এনে তিৰস্কাৰৰ কথা কাটি-কুটি মূলত যি গৰাকী ৰূপহী ৰমণীৰ কাৰণে আলেকজেণ্ডাৰে গৰিহণা পাব লগীয়া হৈছিল, তেওঁৰ মনত এটা বৰ জিদ্ উপজিল। তেওঁ ভাবিলে—নাৰীৰ সৌন্দৰ্য্য তেনেহলে সঁচাকৈয়ে কলঙ্কৰ লেখি? সেই সৌন্দৰ্য্যৰ মাদকতাই জানো সকলোকে সমভাৱে মতলীয়া কৰিব নোৱাৰে? যদি নোৱাৰে তেনেহলে তেনে সৌন্দৰ্য্যৰ গৌৰৱ কৰাৰ, তেনে ৰূপ-যৌৱনৰ সাধনা কৰাৰ আৰু নাৰীৰ জীৱনৰ সাৰ্থকতাই বা ক'ত?

যাক, পৰীক্ষাকে চোৱা যাওক। ইয়াকে ভাবি তেওঁ পিছদিনা পোনতে আলেকজেণ্ডাৰৰ ওচৰলৈয়ে গ'ল। আলেকজেণ্ডাৰে তেওঁক আগৰদৰে প্ৰীতি-সম্ভাষণ জনাই এৰিষ্টটোলৰপৰা পোৱা তিৰস্কাৰৰ কথা উল্লেখ কৰিলে। প্ৰিয়তমৰ মুখেও তেনে নিদাৰুণ কথা শুনি প্ৰেয়সীৰ অন্তৰত প্ৰতিশোধৰ জুয়নি দুগুণে জ্বলি উঠিল। তেওঁ আলেকজেণ্ডাৰক সজল-নয়নে হিয়া উবুৰিয়াই আলিঙ্গন কৰি কলে,—'প্ৰাণাধিক, মই দাম্ভিক এৰিষ্টটোলৰ জ্ঞানৰ চুড়া আপোনাৰ চৰণত ঢালি দেখুৱাইহে এৰিম। আপুনি ধৈৰ্য্য ধৰক।' এনেকৈ কৈ তেওঁ দৃঢ়'চিত্তে অপূৰ্ব্ব লয়লাসেৰে এৰিষ্টটোলৰ বাসস্থানলৈ যাত্ৰা কৰিলে।

এৰিষ্টটোল সেই সময়ত ফুলনিৰ মাজত অধ্যয়নত মগ্ন আছিল। নিৰ্জ্জন কুসুম-কাননত এৰিষ্টটোলক তেওঁ গৈ বিচাৰি পাই দূৰৰ পৰাই ভাবিলে—বিধি নিশ্চয় আজি সুপ্ৰসন্ন। মই আজি নাৰী সৌন্দৰ্য্যৰ সকলো গৰিমা আৰু নাৰী-অন্তৰৰ সকলোখিনি মায়া-কুহেলিকাৰে খেলা আৰম্ভ কৰিম। ভগৱানৰ নো নাৰী-সৃষ্টিৰ অভিপ্ৰায় কি তাকেই বুজা যাব।

সঁচাকৈয়ে তেওঁ গৈ এনে মোহনীয়ভাৱে এৰিষ্টটোলৰ লগত কথা আৰম্ভ কৰিলে যে জ্ঞানী এৰিষ্টটোলৰ হাতৰ কিতাপ হাততে থাকিল। সুন্দৰীৰ চাটুবাক্যত ক্ৰমে উঠি গৈ এৰিষ্টটোলে জানিবা সেইদিনালৈ সুন্দৰীক মাত্ৰহে নেদেখাকৈ সুবিধা বুজি সদায় একেবাৰ সেই ফুলনিলৈ আহিবলৈ নিমন্ত্ৰণ জনায়ে ক্ষান্ত থাকিল। সুন্দৰীয়েও তাত সলজ্জ সন্মতি জনালে। দুয়োৰো মাজৰ প্ৰীতি-মিলনৰ আকৰ্ষণ ক্ৰমে বাঢ়ি যাবলৈ ধৰিলে। বুঢ়া পণ্ডিত সুন্দৰীৰ প্ৰেমৰ জালত ভালকৈয়ে বান্ধ খাই পৰিল।

এদিনৰ কথা। সুন্দৰীয়ে ভাবিলে প্ৰতিশোধৰ এয়ে উৎকৃষ্ট সুযোগ। তেওঁ আলেকজেণ্ডাৰৰ ওচৰলৈ গৈ কলে,—'প্ৰাণেশ্বৰ, পক্ষী জালত পৰিছে। বান্ধি আনিবলৈ কলে আনিব পাৰোঁ।' আলেকজেণ্ডাৰে কথাৰ ইঙ্গিত বুজিলে আৰু সস্নেহ চুম্বনেৰে কৃতকাৰ্য্যতাৰ শলাগ লৈ কলে—'প্ৰত্যয় যাব নোৱাৰিছো বাৰু। কিছো বীৰোচিত শিষ্টাচাৰ ৰীতিৰে বীৰৰ প্ৰতি দেখুৱাব লাগে। মযো ইয়াতহে জান, সাৰকত্য় এৰিষ্টটোলক ক্ষমা কৰিব খোজোঁ।'

সুন্দৰীয়ে কলে—'মহৎ সম্ৰাট, আপুনি ভুল বুজিছে। বিজয়ৰ চিন সদায় চিৰস্মৰণীয় কৰিব লাগে। আপোনাৰ এই বিজয়-গৌৰৱৰ কথা জগতে কওঁ

জানো ? পণ্ডিতে মই তেওঁক আপোনাৰ আগত এনে ধৰণে হাঁজিৰ কৰিব খোজোঁ, যাতে তেওঁ বুজে প্ৰেমৰ ক্ষেত্ৰত জ্ঞানৰ ব্যক্তিত্ব মৰহে। প্ৰেম জ্ঞানৰ বহু ওপৰত। পণ্ডিতে কালিলৈ আপুনি কাতিপুৱা ফুলনিৰ পূৱৰ ডাঙৰ গছজোপাৰ ওচৰলৈ যাব আৰু মই ফুলনিৰ ফালৰ পৰা সেই পণ্ডিতক বান্ধি আনি আপোনাৰ চৰণ-তলত সোপাই দিম। আপুনি তেতিয়া কি কৰে কৰিব। আপুনি এই প্ৰস্তাৱত মান্তি হবনেকি ?' আলেক্‌জেণ্ডাৰ মান্তি হ'ল।

পিছদিনা সুন্দৰীয়ে নিজক আগতকৈও অধিক সুন্দৰ কৰি সজালে। প্ৰসাধনে শৰীৰ শোভা আৰু বেছি বঢ়ালে। মদন-জয়ৰথৈক তেওঁ গৈ নিৰ্জ্জন ফুলনিৰ মাজত বৃদ্ধ পণ্ডিত এৰিষ্টটোলৰ লগত অপূৰ্ব্ব সঙ্গীত অনঙ্গ-ক্ৰীড়া আৰম্ভ কৰিলে। তেওঁ কথাৰ মাজতে সেইদিনা এৰিষ্টটোলৰ আগত এটা অলপ অদ্ভুত ধৰণৰ প্ৰস্তাৱ দাঙি ধৰিলে। কাতিওৰি নাভাবি প্ৰেমান্ধ পণ্ডিত এৰিষ্টটোলেও তাতেই নিৰ্ব্বিবাদে হৃষ্টচিত্তে সম্মতি দিলে।

সুন্দৰীৰ কবল-গ্ৰস্ত হৈ এৰিষ্টটোলে সুন্দৰীয়ে কোৱামতে সেইদিনা আঠুকাঢ়ি ঠিক ঘোঁৰাৰ দৰে হৈ উগাহত্ত চটফটাবলৈ ধৰিলে। পকা ডাঢ়ি গোঁফেৰে তেওঁক ধুনীয়া দেখা গ'ল। তেতিয়া সৰু-ডাঙৰ নানান সুগন্ধি ফুলৰ মালা এডাল নিজ হাতে গাঁথি লৈ সুন্দৰীয়ে তাকে ঘোঁৰাৰ লেকাম এডাল বনালে, আৰু নিজে ঘোঁৰাত উঠাৰ দৰে এৰিষ্টটলৰ পিঠিত উঠি মৰমেৰে হাত বুলাই বুলাই তেওঁক ফুলনিৰ পূৱৰ গছজোপাৰ তললৈ লৈ গ'ল।*

Said the lady, thou must bring
Yourself to another thing;
If indeed you feel love's fire,
You must do what I desire;
Know thou, that it is my pride
This day, on your back to ride,
Through the grass and garden gay;
If you answer not with nay,
I will straightly saddle you,
That you will be the best to do.

দুয়ো গৈ দেখে স্নাত ক'ৰবাৰপৰা আহি মহাবীৰ আলেকজেণ্ডাৰে পৰ্য্যঙ্কৰ কাষতে জিৰণি লৈছে। আলেকজেণ্ডাৰৰ সন্মুখত এৰিষ্টটোল লাজত পোনতে শোটমোচ হ'ল। আলেকজেণ্ডাৰে একো কবলৈ নোপাওঁতেই শ্ৰেষ্ঠ বহুমহ-কৈ উঠি কলে—'দেখিছো আমি দুয়ো পৰাজিত হলোঁ, সুন্দৰীৰেই জয় হ'ল।' আলেকজেণ্ডাৰে কলে—'হয়; পিছে মই সেই জ্ঞান আগতেই পালোঁ, আপুনি অলপ পলমকৈ পালে, পাৰ্থক্য মাত্ৰ ইমানেই।'

সুন্দৰীয়ে তেতিয়া কলে—'সঁচাকৈয়ে যদি নাৰী-সৌন্দৰ্য্যৰ মৰ্য্যাদাৰ দুয়ো সমানে উপলব্ধি কৰিছে, তেনেহলে এই ঠাইতেই এটা প্ৰেমৰ বিজয় কীৰ্ত্তি-স্তম্ভ নিৰ্ম্মাণ কৰিব লাগিব। দুয়ো মান্তি হ'ল আৰু কাৰ্য্যত সেয়ে হ'ল। স্তম্ভ এটা নিৰ্ম্মাণ কৰা হ'লত তাত লিখা হ'ল—হে পথিক, খোৱা, পিয়া আৰু প্ৰেম কৰা। কাৰণ, অন্য কোনো কাম তাৰ সমান হব নোৱাৰে (Thou stranger, eat, drink, and make love: all else is not worth that)।

গ্ৰীচৰ আৰ্কিয়েলাচ নামে ঠাইত এই স্তম্ভ আজিও আছে। আজিও সেই স্তম্ভই নাৰীৰ হাতত জ্ঞানী পণ্ডিত এৰিষ্টটোল আৰু মহাবীৰ আলেকজেণ্ডাৰৰ শোচনীয় পৰাভৱ ঘোষণা কৰি বিলাসী কালৰ বুকুত নাৰীৰ বিজয় পতাকা দণ্ডায়মান ৰাখিছে।

(২)

জনপ্ৰবাদমতে কবি কালিদাস আছিল বিক্ৰমাদিত্য ৰজাৰ নৱ-ৰত্নৰ ভিতৰতে সৰ্ব্বশ্ৰেষ্ঠ ৰত্ন। দৈবাৎ কবি কালিদাস আৰু ৰজা বিক্ৰমাদিত্য লক্ষহীৰা নামৰ এজনী গৰাকী গণিকাৰ প্ৰতি আসক্ত হৈ পৰিছিল। পিছে, বুদ্ধিত কালিদাসক পৰাজয় কৰিব পৰা লোক সেই সময়ত দ্বিতীয়জনা ওপজা নাছিল।

কালিদাসৰ কথামতে সেই গণিকাই এদিন ৰজাক নিজৰ ঘৰতে ঘোঁৰা বনাই পিঠিত উঠি অৱহেলি কৰিছিল। ৰজায়ো উৎসাহত আপোন-পাহৰা হৈ গণিকাৰ নিৰ্দ্দেশত মুখেৰে হিঁ-হিঁকৈ হৰ্ষধ্বনি কৰিছিল। পিছত উপভোগৰ মাদকতা কাটি, শোৱাত আৰু আত্মগ্লানিত ৰজাই মনে

মনে লাজ পালে আৰু এই অপকৰ্মৰ গুৰিত কালিদাসহে আছে বুলি সন্দেহ কৰিলে।

ৰজাই ঘটনাৰ গমগতি লৈ কালিদাসক [illegible] পোৱাৰ আশাৰে ৰাণীক এদিন কলে—'প্ৰিয়া, কালিদাস যেতিয়া তোমাৰ [illegible] পিছত কেতিয়াবা আহে, তেতিয়া তুমি বুলি কবি তেওঁৰ মূৰটো খুৰাই দিয়াবাচোন। তাকে কৰিলে মই তোমাক [illegible] বহুত পুৰস্কাৰ দিম।'

পিছদিনা কালিদাস তেওঁৰ ঘৰলৈ [illegible], ৰাণীয়ে ছলেৰে কলে—'প্ৰিয়, সুন্দৰকৈ মূৰৰ চুলিবোৰ খুৰাই দিলে আপোনাক কেনে ধুনীয়া দেখি, তাকে চাবলৈ মোৰ মন হাবিয়াহ কৰিছে। আপুনি আজি আপোনাৰ মূৰৰ চুলিবোৰ খুৰাই দিব লাগে।' [illegible] কালিদাসে গণিবাৰ [illegible] মাত্ৰ নহৈ নোৱাৰিলে, আৰু নাপিতে তেওঁৰ মূৰৰ চুলিবোৰ খুৰাই দি মূৰটো তেনেই টকলা কৰি পেলালে।

পিছদিনা কালিদাস ৰাজ-সভালৈ যাওঁতে! তেওঁ টুপী মূৰটোত লগাই এটা পাগুৰি মাৰি, সভ্য-ভব্য হৈ ৰাজসভাত বহিছিল। ৰজাই তেওঁক অপমান কৰিবৰ মনেৰে সুধিলে— পণ্ডিত কালিদাস, আজি দেখোন কি মূৰ্ত্তি? মূৰৰ চুলিবোৰ ক'ত এৰিলা? —'কালিদাস কবিশ্ৰেষ্ঠ, মুণ্ডনং কুত্ৰ পৰ্বণি?' (কবিশ্ৰেষ্ঠ কালিদাস, তুমি কোন তীৰ্থত মুণ্ডন কৰি আহিলা?) উপস্থিত বুদ্ধিসম্পন্ন কালিদাসে ৰজাৰ [illegible] বুজিব পাৰি কলে— 'মহাৰাজ, কিয়নো সুধিছে? জানেনে দেখোন আপুনি। নিজৰ [illegible] এডাল টানি চালেই হ'ল। অ' প্ৰভু, যাৰ [illegible] ভাও লৈ হি-হি-হি কৰি চিঞৰিছিল, সেই একেজনাৰ ঘৰতে মোৰ এই মুণ্ডন— 'অশ্বতীৰ্থে হতো [illegible] চিহি শব্দ চকাৰ হ'—অৰ্থাৎ মই য'তে টকলা হৈছো—আপুনি চিহি শব্দ কৰিছিল।

ৰজাই কালিদাসৰ উত্তৰত মনস্তাপিত বেজাৰ পালে। কবিৰ [illegible] যে এই দুঃসহ অপমানৰ হাত সাৰিবৰ [illegible], সেইবাবেই [illegible] কৰি সেই [illegible] নাৰীৰ [illegible] কালিদাসৰ [illegible] নাছিল। ইও এটা নাৰীৰ আগত কম গৌৰৱৰ কথা?

প্ৰেমৰ ক্ষেত্ৰত নাৰীৰ [illegible]

কৈছিল—'পুৰুষৰ কাৰণে প্ৰেম তেওঁৰ জীৱন পৰ্ব্বহে নহয়, কিন্তু নাৰীৰ হলে গোটেই জীৱনটোৱে প্ৰেমৰ দেহা মৰণে ন।'* সাগৰ মন্থনত অমৃত উঠা হোৱাত তাৰ বাবে দেৱতা আৰু অসুৰসকলৰ মাজত যি কন্দল উপস্থিত হৈছিল, তাকো গাঁঠি দিছিল মোহিনীৰূপধাৰী নাৰীবেশেহে। কন্দল লগোৱা আৰু ভঙা দুয়োৰো গুৰিত আছে নাৰী।

(৩)

তাহানি যোগীৰাজ শিৱৰ লগত কথা বাক্তি ভগৱান কৃষ্ণই নিজে এবাৰ মোহিনী নাৰীমূৰ্ত্তি ধাৰণ কৰিছিল। মহাদেৱে সেই মূৰ্ত্তি দেখি আত্মসম্বৰণ কৰিব নোৱাৰি বাতুলৰ দৰে সেই মূৰ্ত্তিৰ পাছে পাছে লৰ দিছিল। ম্ৰীৰ মোহ-জালত পৰি নিজক পাহৰি যোৱা তেনেকুৱা আৰু এটা কাহিনী মহাপুৰুষ শঙ্কৰাচাৰ্য্যৰ জীৱনীতো পঢ়িবলৈ পোৱা যায়।

ভগৱান শঙ্কৰাচাৰ্য্যৰ জন্ম হৈছিল দাক্ষিণাত্যৰ কেৰল প্ৰদেশত—খ্ৰীষ্টীয় অষ্টম শতিকাত। মহাদেৱৰ বৰত জন্মিছিল কাৰণে তেওঁৰ নাম ৰখা হৈছিল শঙ্কৰ। জ্ঞান আৰু পাণ্ডিত্যৰ প্ৰভাৱত তেঁৱেই শিহত শঙ্কৰাচাৰ্য্য নাম পায়। বৌদ্ধ পণ্ডিতসকলক শাস্ত্ৰীয় যুক্তিতৰ্কেৰে পৰাস্ত কৰি তেওঁ হিন্দুধৰ্ম্মৰ পুনৰ প্ৰতিষ্ঠা কৰে আৰু ভাৰতত অদ্বৈতবাদৰ গুৰু ৰূপে প্ৰতিপন্ন হয়। শঙ্কৰাচাৰ্য্য গৃহ-ত্যাগী যতী আছিল।

কাশ্মীৰৰপৰা যাত্ৰা আৰম্ভ কৰি পাণ্ডিত্যৰ দিগ্বিজয়ত দেশ বিদেশ ঘূৰি ফুৰোতে এবাৰ মাহিষ্মতী নামে নগৰত সেই সময়ৰ বিখ্যাত পণ্ডিত মণ্ডন মিশ্ৰৰ লগত শঙ্কৰাচাৰ্য্যৰ সাক্ষাৎ হৈছিল। মণ্ডন মিশ্ৰ আছিল গৃহী আৰু তেওঁৰ পত্নীৰ নাম আছিল উভয়ভাৰতী বা উভয়ভাৰতী।* উভয়ভাৰতী সাক্ষাৎ সৰস্বতীস্বৰূপা আছিল। সেই সময়ত ব্ৰাহ্মণসকলৰ ধাৰণা আছিল যে তেওঁ সৰস্বতীয়ে আছিল—দুৰ্ব্বাসাৰ শাপতহে মানৱীৰূপ ধাৰণ কৰিছিলহি। সি যি হওক, শঙ্কৰ আৰু মণ্ডন মিশ্ৰৰ মাজত তৰ্কযুদ্ধ আৰম্ভ হ'ল। প্ৰতিদ্বন্দ্বিতাক্ৰমে সেই তৰ্কযুদ্ধত মণ্ডন মিশ্ৰক পত্নী বিদুষী উভয়ভাৰতীয়ে মধ্যস্থ ৰূপে থাকি জয়-পৰাজয় বিচাৰ কৰিব লগীয়াত পৰিল।

---

* Man's love is of man's life a thing apart,
'Tis woman's whole existence.—Don Juan



চাকৰি জীৱনত শ্ৰীযুত অতুলচন্দ্ৰ বৰুৱা

তেওঁ যথাৰীতি দুয়ো পণ্ডিতৰ ডিঙিত দুধাৰি মালা দি প্ৰচাৰ কৰিলে যে যি তৰ্কত হাৰিব তেওঁৰ ডিঙিৰ মালা আপোনা-আপুনিয়ে মলিন হৈ লেৰেলি যাব। মণ্ডন মিশ্ৰই তেতিয়া প্ৰতিজ্ঞা কৰিলে যে যদি তেওঁ তৰ্কযুদ্ধত পৰাস্ত হয়, তেন্তে নিজে পিন্ধি থকা বস্ত্ৰ পৰিত্যাগ কৰি যতী শঙ্কৰৰ দৰে গেৰুৱা বস্ত্ৰ পৰিধান কৰিব। শঙ্কৰে উত্তৰ দিলে— দুয়োৰো মাজত এইটোও স্থিৰ হ'ল যে পৰাজিত হ'ব তেওঁৱে অন্যজনৰ পন্থা বা আশ্ৰয় গ্ৰহণ কৰিব।

তৰ্ক-যুদ্ধ চলিবলৈ ধৰিলে। পাঁচ-ছয় দিন একেৰাহে তৰ্ক চলিল। কাৰো হাৰ-জিত নাই। পিছত ক্ৰমে মণ্ডন মিশ্ৰৰ ডিঙিৰ মালা মলিন হৈ আহিবলৈ ধৰিলে। তেওঁ পৰাজয় স্বীকাৰ কৰি গেৰুৱা বসন পিন্ধি সন্যাস অৱলম্বন কৰিবলগীয়াত পৰিল।

উভয়ভাৰতীয়ে তেতিয়া জনাই দিলে যে শঙ্কৰাচাৰ্য্যই মণ্ডন মিশ্ৰৰ লগত তৰ্কযুদ্ধত জয় লাভ কৰিছে সঁচা, কিন্তু তেওঁ সেই বিজয়ৰ গৌৰৱ সম্পূৰ্ণৰূপে পাবলৈ হ'লে পুনঃ উভয়ভাৰতীকো তৰ্কযুদ্ধত পৰাস্ত কৰিব লাগিব; কিয়নো উভয়ভাৰতী মণ্ডনৰ পত্নী। বেদত আছে 'আত্মনোহৰ্দ্ধং পত্নী'—আত্মাৰ অৰ্দ্ধেক পত্নী, অৰ্থাৎ পত্নী পতিৰ অৰ্দ্ধাঙ্গিনী। গতিকে পত্নীৰ পৰাজয় নহ'লে পতিৰ পৰাজয় নহয়।

শঙ্কৰ বিমোৰত পৰিল। তেওঁ ক'লে—'পণ্ডিতসকলে কেতিয়াও নাৰীৰ লগত তৰ্কযুদ্ধ নকৰে।' ভাৰতীদেৱীয়ে তেতিয়া উত্তৰ দিলে—'আপুনি শাস্ত্ৰজ্ঞ হৈও অজ্ঞৰ দৰে কথা কয় কিয়? বৃহদাৰণ্যক উপনিষদত আছে মুনিশ্ৰেষ্ঠ যাজ্ঞবল্ক্যই গাৰ্গী নামৰ ৰমণীৰ লগত শাস্ত্ৰীয় তৰ্ক কৰিছিল। তেনেকৈ ৰাজৰ্ষি জনকেও আকৌ সুলভা নামে বিদুষী নাৰী সন্ন্যাসিনীৰ লগত শাস্ত্ৰীয় বিষয়ত বাদানুবাদ কৰা নাছিল?'

শঙ্কৰাচাৰ্য্যই উভয়ভাৰতীৰ যুক্তি খণ্ডন কৰিব নোৱাৰিলে। দুয়ো তেতিয়া তৰ্ক-যুদ্ধত প্ৰবৃত্ত হ'ল। একেৰাহে [illegible] দিন সেই তৰ্কযুদ্ধ চলিল। শেষত তেতিয়া ভাৰতীয়ে ভাবিলে—শঙ্কৰ সন্ন্যাসী লোক। কাম-শাস্ত্ৰৰ বিষয়ত তেওঁ সম্পূৰ্ণ অনভিজ্ঞ। গতিকে সেই বিষয়ে [illegible] তাৰ পিছত তেওঁ প্ৰশ্ন কৰিলে—'বাৰু আপুনি এইবাৰ কওক—কাম-কলা কাক বোলে? ই কিমান প্ৰকাৰ? কাক আশ্ৰয় কৰি কাম-কলা

অৱস্থান কৰে? শুক্লপক্ষ আৰু কৃষ্ণপক্ষত কাম কাৰ ক'ত থাকে? যুৱতী নাৰীয়ে পুৰুষৰ ওপৰত তেতিয়া কি ধৰণে কাম-কলাৰ প্ৰভাৱ বিস্তাৰ কৰিব পাৰে? কি প্ৰকাৰ লোকৰ কামশক্তি কেনে ধৰণৰ?—'

প্ৰশ্নবোৰ শুনি শঙ্কৰে প্ৰমাদ গণিলে। এনে প্ৰশ্ন তেওঁ নাৰী নালাগে পুৰুষৰ পৰাও ক'তো কেতিয়াও আশা কৰা নাছিল। গৃহত্যাগী চিৰকুমাৰ ব্ৰহ্মচাৰী এজনে এনে উদ্ভট প্ৰশ্নৰ উত্তৰ দিয়ে কেনেকৈ? নিৰুপায় হৈ শঙ্কৰে এই প্ৰশ্নৰ উত্তৰৰ কাৰণে উভয়ভাৰতীক এমাহ সময় খুজিলে। ভাৰতীয়েও সানন্দে সময় দি তেওঁক বিদায় দিলে।

শঙ্কৰাচাৰ্য্যই শিষ্যবৰ্গক লগত লৈ এইবাৰ পুনঃ জ্ঞান চৰ্চ্চাৰ কাৰণে অৰণ্যত প্ৰৱেশ কৰিলেগৈ। ধ্যানত বহি চকু মুদিয়েই তেওঁ দেখিবলৈ পালে —অমৰক নামে ৰজা এজনে সেই দিনা মৃগয়ালৈ যাওঁতে হঠাৎ গছ এজোপাৰ তলত প্ৰাণ এৰিছে আৰু তেওঁৰ দেহ অৰক্ষিতভাৱে পৰি আছে। শঙ্কৰে চকু মেলি চাই তেওঁৰ প্ৰধান শিষ্য সনন্দনক কলে—'সনন্দন! অৰণ্যৰ শিমুবৰ বৃহৎ ডাহত গছ এজোপাৰ তলত ৰজা অমৰক মৰি পৰি আছে। যোগবলত মই তেওঁৰ শৰীৰত প্ৰৱেশ কৰি সংসাৰ সুখৰ অভিজ্ঞতা লভিমগৈ। ৰাজনগৰীত কিছুদিন ৰাণীসকলৰ লগত অতিবাহিত কৰি কাম-শাস্ত্ৰৰ বাস্তৱ জ্ঞান লাভ কৰিম আৰু তাৰ অন্তত উভতি আহিম। তুমি অন্যান্য শিষ্যবৰ্গসহ মোৰ শৰীৰটো পৰ্ব্বতৰ গুহাত ৰক্ষা কৰি থাকিবা।'

সনন্দনে কলে—'গুৰুদেৱ, আপোনাৰ ইচ্ছাৰ বিৰুদ্ধে আমাৰ কৰণীয় একো নাই। পিছে অন্তৰত ভয় হৈছে আপুনি জানোচা মৎস্যেন্দ্ৰ মুনিৰ অৱস্থা পাবগৈ। মৎস্যেন্দ্ৰ মুনিয়ে তেওঁৰ প্ৰিয় শিষ্য গোৰক্ষক ওপৰত তেওঁৰ শৰীৰ ৰক্ষাৰ ভাৰ দি মৃত ৰজা এজনৰ শৰীৰত প্ৰৱেশ কৰি ৰজাৰ মহিষীসকলৰ লগত ৰমণ-উপভোগত মত্ত হৈছিল আৰু সুন্দৰী ৰমণীসকলৰ লগত আমোদ-প্ৰমোদত মজি তেওঁ পূৰ্ব্ব আধ্যাত্মিক পাহৰি গৈছিল। তেতিয়া গোৰক্ষই অন্য উপায় নাপাই ৰাণীসকলৰ নৃত্য-গীতৰ শিক্ষক হৈ ৰাজপুৰীত প্ৰৱেশ কৰি গীতৰ ছলেৰে তেওঁক জ্ঞান উদ্ৰেক কৰাৰ ফলত সিদ্ধান্ত পালিছিল।' আমাৰ আশঙ্কা হয়, জানোচা আপুনিও ৰাজসুখ ত্যাগ কৰি পুনৰ আমাৰ ওচৰলৈ ঘূৰি নাহিবগৈ। তেতিয়া মহা-অনিষ্ট হব। আমি অনাথ হৈ পৰিম।'

শঙ্কৰে কলে—'হে ভক্তিমান, তোমাৰ কথা সম্পূৰ্ণ যুক্তিপূৰ্ণ। কিন্তু তুমি জানা গোপীসকলে ভগৱান কৃষ্ণৰ সঙ্গিনী হৈও তেওঁৰ মন হৰণ কৰিব পৰা নাছিল। বিষয়-বাসনাত্যাগী লোকক [illegible] বশ কৰিব নোৱাৰে। তুমি ভয় নাখাবা।'

এইদৰে কৈ শঙ্কৰাচাৰ্য্যই শিষ্যসকলক তেওঁৰ শৰীৰ ৰক্ষাৰ ভাৰ দি যোগবলেৰে মৃত ৰজা অমৰকৰ দেহত প্ৰৱেশ কৰিলে। ৰজাৰ গাত জীৱন আহিল। তেওঁ এগামুৰি দি জাগি উঠিল আৰু [illegible]।

তেওঁ গৈ ৰাজপুৰীত প্ৰৱেশ কৰিলে আৰু ৰাণী মহিষীসকলৰ লগত কাম-কেলি আৰম্ভ কৰিলেগৈ। ৰাণীসকলে ৰজাৰ আচাৰ-ব্যৱহাৰবোৰ কিছু আচহুৱা যেন পাইছিল যদিও, তেওঁলোকৰ কোনেও প্ৰকাশ্যে সন্দেহ কৰিবলৈ সাহ নকৰিলে। ৰজাই কৃপাপৰবশ হৈ ৰহস্যৰ ছলেৰে নৱ-নৱ ক্ৰীড়া-কৌশল প্ৰদৰ্শাইছে বুলি ভাবি সকলোটিয়ে তাত সহযোগ কৰি নীৰৱে থাকিল। ইফালে দিন গৈ অহাৰ লগে লগে ৰজাই ৰাজ্য-ভাৰ অমাত্যবৰ্গৰ ওপৰত এৰি দি কাম-কলাৰ সৰ্ব্বতোপ্ৰকাৰ চৰ্চাতে সম্পূৰ্ণৰূপে ব্যস্ত থাকিবলৈ ধৰিলে। তেওঁ শাস্ত্ৰোক্ত শ্ৰদ্ধা, প্ৰীতি, ৰতি, ধৃতি, কীৰ্ত্তি, মনোজ্ঞা, বিমলা, মেধিনী, ঘোৰা, মদনোৎপাদিনী, মদা, মোহিনী, দীপালি, বশকৰী, ৰঞ্জনী আৰু মদনা—এই ষোলকলা যুৱতী ৰমণীসকলৰ শৰীৰত কেনেকৈ অৱস্থিতি কৰে তাৰ বাস্তৱ জ্ঞান লভিলে। তিথি অনুসাৰে কেতিয়া [illegible] কোন অঙ্গত কামকলাৰ কেনে অৱস্থাত থাকে আৰু তাক কেনেকৈ জগোৱা যায়; এই সকলোবোৰ কথাৰ সম্যক উপলব্ধি তেওঁৰ হ'ল। [illegible] সুখ আৰু আনন্দত তেওঁ আপোন পাহৰা হৈ ৰ'ল। [illegible] অবিৰাম ঘূৰি আছে।

এইদৰে এতিয়া প্ৰায় এমাহ পাৰ হৈ গ'ল। তথাপি [illegible] নহা দেখি তেওঁৰ শিষ্যসকলৰ মনত ঘোৰ চিন্তা উপস্থিত হ'ল। তেওঁলোকে যুক্তি-কৰি [illegible] ইয়াকে ঠিৰাং কৰিলে যে, তেওঁলোকৰ [illegible] ধৰি ৰাজ-দৰবাৰত বীণ বজাই গীত গাই ঘূৰিব। [illegible]

ৰজাই বীণ-বাদকৰ গীত শুনিবলৈ [illegible] তেওঁ [illegible]।

ৰবাগীইতে গালে—

যতী হৈও ৰজা হ'লা—
পূৰ্ব্বস্মৃতি পাহৰিলা
গুহাত তুমি এৰিলা শৰীৰ ;
কামপাশত বদ্ধ হৈ
কামিনীৰ সঙ্গ লৈ
কিয় আৰু হ'লানো অধীৰ ?
তোমাৰ শৰীৰ আমি ৰাখোঁ
গুহাৰ মাজত আমি থাকোঁ
এই কথা ভাবাচো এবাৰ।
তোমাৰ আদেশ আমি পালোঁ—
সৌৰবাবলৈ গায়ক হলোঁ
দুখৰ আমাৰ নাই পাৰাপাৰ।
গুৰু তুমি ভাবাচোঁ এবাৰ ॥
কা তব কান্তা, কস্তে পুত্ৰঃ
সংসাৰোহয়ম্ অতীব বিচিত্ৰঃ—
—দুখৰ আমাৰ নাই পাৰাপাৰ,
গুৰু তুমি ভাবাচো এবাৰ

—গীত শেষ নৌহওঁতেই ৰজাৰ চকুৰেদি চকুলো দুৰাৰি অতৰ্কিতে বাগৰি গল। ৰবাগী কেইজনাই হাতত বীণ তুলি লৈ গীত গাবলৈ বিদায় ললে। ৰজাৰ চৈতন্য আহিল। তেওঁ পুনঃ যোগস্থ হৈ প্ৰাণ এৰিলে আৰু যোগ-বলেৰে নিজৰ শৰীৰত প্ৰৱেশ কৰিলেহি।"

এইবাৰ মণ্ডন মিশ্ৰই শঙ্কৰাচাৰ্য্যৰ পাছ ললে। উত্তৰকালবৰ্ত্তী ইতিহাসে [illegible] এই ঘটনাটোৱে অন্য বিষয়েই প্ৰমাণ [illegible]—এইটো কিন্তু [illegible] বুজায় যে নাৰীৰ প্ৰেম-বন্ধনত বৰ বৰ লোকেও যুগে যুগে জোকোকা-জোকোকে পানী খাই আহিছে। জগৎগুৰু শঙ্কৰাচাৰ্য্যৰ দৰে যতী ব্ৰহ্মচাৰীও নাৰীৰ [illegible] প্ৰতি [illegible] কাৰণে কামকলা [illegible] হৈছিল। নাৰীৰেই ই এক বিজয়-কাহিনী।

হৰ-গৌৰীৰ বসতি হওক

এখন বিয়া। তাতে দৰাৰ নাম শঙ্কৰ, কন্যাৰ নাম পাৰ্ব্বতী। শঙ্কৰৰ অপৰ নাম হৰ আৰু পাৰ্ব্বতীৰ অপৰ নাম গৌৰী। দৰাৰ বাহন আছিল মাত্ৰ এটা প্ৰকাণ্ড বলধ গৰু। তাতে উঠি তেওঁ ঘূৰি ফুৰে। সকলোৱে কয় যে বিয়াৰ পাছত কন্যাৰো বাহন হয় সেয়ে। কঁকালত বাঘৰ ছাল, হাতত ত্ৰিশূল-ডম্বৰু, কপালত এটা দ্বিতীয়াৰ চন্দ্ৰ, মূৰত জটা আৰু ডিঙিয়ে বাহুয়ে গোটাচেৰেক বিষাল সাপ, এয়ে আছিল দৰাৰ অজব বসন-ভূষণ। তেওঁ ঘূৰি ফুৰে গছৰ তলে, বাঁহৰ তলে; থাকে শ্মশানত; মাজে মাজে খায় ভাং। ভিক্ষাবৃত্তিয়ে আছিল জীৱনৰ অৱলম্বন।

কন্যাও নাছিল কম। তেওঁ আছিল এগৰাকী ৰূপহী পাহাৰী ৰমণী। নিপোটল স্বাস্থ্য, অনিন্দ্য-সুন্দৰ চেহেৰা। তেওঁ গিৰিৰাজ হিমালয়ৰ চেনেহৰ তনয়া। ওপৰত বৰ্ণনা দিয়া দৰাজনক পাবৰ কাৰণেই গিৰিৰাজ-তনয়া গৌৰী হৈ পৰিছিল পাগলী। এবাৰ তেওঁ নানা প্ৰবন্ধে, শঙ্কৰক সন্তুষ্ট কৰি হাতত পায়ো দৰাৰ ঠেহ লগাত হেকৱাৰ লগাত পৰিছিল। এইহেন দৰাজনৰ লগত পাৰ্ব্বতীৰ যিখন বিয়া হৈছিল আৰু বিয়াৰ পিছত তেওঁলোকৰ যিখন ঘৰ-বাস হৈছিল তাক এনেয়ে সাধাৰণভাৱে অনুমান কৰা যায়। অন্য যিয়ে নহওক, এই বিয়াখনক কিন্তু আজিৰ দিনত কোনো [illegible] আধুনিক যুৱক-যুৱতীয়ে আদৰ্শ বিয়া বুলি গ্ৰহণ কৰিবলৈ ৰাজি নহ'ব। আচৰিত কথা কিন্তু এই যে আজিও বিয়াত [illegible], [illegible], সুহৃদ-শুভাৰ্থী সকলোৱে দৰাকন্যাক আশীৰ্ব্বাদ দিয়ে সেই একেবাৰ বচনেৰে— হৰ-গৌৰী বসতি হওক, অৰ্থাৎ তোমালোকৰ [illegible] হওক (চিৰকালী) হৰ-গৌৰীৰ দৰব দৰেই। আজিৰ [illegible] [illegible] নিৰ্ভৰ হয় তেওঁৰ ধুনীয়া ঘৰবাৰী, ধুনীয়া মটৰ, গাড়ী, অৰ্থ-সম্পদৰ প্ৰাচুৰ্য্য আৰু নানান আধুনিক সাজ-সৰঞ্জাম, আচবাব, পোছাক-পাৰ, অলঙ্কাৰ [illegible] বিচৰা হয় যেতিয়া আধুনিকতাৰ লগত খাপখোৱা আচাৰ-ব্যৱহাৰ, চলন-

ভূষণ, বসন-ভূষণ, শিক্ষা-দীক্ষা, ৰূপ-লাৱণ্য, সাজ-সজ্জাৰ জাকজমকতা, বচন-প্ৰসাধন আদিত, তেতিয়াও জানো হৰ-গৌৰীক সমাজে আদৰ্শ দম্পতীৰূপে লৈ—হৰ-গৌৰীৰ বসতি হওক বোলা বচনকেই দৰা-কন্যাক আশীৰ্ব্বাদ ৰূপে দি থাকিব? ই কেনেকুৱাৰ আশীৰ্ব্বাদ? আশীৰ্ব্বাদ নে অভিশাপ? এই সুসমীয়া বচন ফাকিৰ মূল অৰ্থ কি আৰু এই আশীৰ্ব্বাদৰ সাৰ্থকতায়ে বা কি'ড ভাবিব লগীয়া।

(২)

ভগৱান ব্ৰহ্মাই দক্ষ আদি প্ৰজাপতিসকলক সৃষ্টি কৰি উঠি জিৰণি লওঁতে তেওঁৰ মনৰপৰা ক্ৰমে মৰীচি, অত্ৰি, অঙ্গিৰা, পুলস্ত্য, পুলহ, ক্ৰতু, বশিষ্ঠ, ভৃগু, দক্ষ আৰু নাৰদ এই দহজন মানস-পুত্ৰৰ জন্ম হ'ল। লগে লগে এগৰাকী ৰূপ্‌লিপ ৰমণীও উপজিল। ব্ৰহ্মাৰ সম্যক ধ্যানৰ কালত জন্মিল কাৰণে কন্যাৰ নাম ৰখা হ'ল সন্ধ্যা।* এওঁকেই আজিও ব্ৰাহ্মণ-সজ্জনে সন্ধ্যা নামে পূজা-অৰ্চ্চনা কৰে।

পুত্ৰসকল আৰু কন্যাৰ ভৱিষ্যৎ সম্বন্ধে চিন্তা কৰি থাকোঁতে ব্ৰহ্মাৰ মনৰ পৰা আৰু এজনা চঞ্চল পুৰুষ নিঃসৃত হ'ল। বৰ ধুনীয়া পুৰুষ। ইমান ধুনীয়া যে সৃষ্টিকৰ্ত্তা ব্ৰহ্মায়ে পুত্ৰৰ ৰূপ দেখি বিস্মিত হৈছিল। তেওঁ তেতিয়া সদ্যজাত সেই পুত্ৰেকক কলে—'তুমি ইমান ধুনীয়া হৈ জন্মিছা যেতিয়া, তোমাক মই আৰু এটা ধুনীয়া বস্তু দি সহায় কৰোঁ। তোমাক মই আজি এই পাঁচ পাহী ফুল দিলোঁ। এয়ে তোমাৰ হাতত পাঁচ শৰৰ কাম কৰিব। এই পুষ্পময় পঞ্চ শৰৰ দ্বাৰা তুমি সৃষ্টিৰ পুৰুষ-নাৰী সকলোকে সমভাৱে মোহিত কৰি সৃষ্টি প্ৰবৰ্ত্তনত নিয়োগ কৰিব পাৰিবা। তোমাৰ পঞ্চ শৰৰ আগত দৈত্য-দানৱ, যক্ষ-ৰক্ষ-মানৱ, কিন্নৰ-বিদ্যাধৰ, পশু-পক্ষী, কীট-পতঙ্গ কোনো থিৰে থাকিব নোৱাৰিব। অন্য প্ৰাণীৰ কথা দূৰতে থাওক বিষ্ণু, মহেশ্বৰ আৰু মই নিজেও তোমাৰ এই পঞ্চ শৰৰ বশৱৰ্ত্তী হম।*

---

* ব্ৰহ্মণো ধ্যায়তো যস্মাৎ সম্যগ্‌জাতা বৰাঙ্গনা।
[illegible] ॥ কালিকা পুৰাণম্।

* অহং বা বাসুদেবো বা স্থাণুৰ্বা পুৰুষোত্তম।
ভবিষ্যামস্তব বশে কিমন্যে প্ৰাণধাৰিণঃ ॥ কালিকা পুৰাণম্।

বিধাতা পুৰুষৰ চিত্ত মথন কৰি উৎপত্তি লভা কাৰণে তেওঁৰ নাম হ'ল মন্মথ; বিধাতাৰ মনৰপৰা জন্মিছিল কাৰণে নাম হ'ল মনোভৱ; অসাধাৰণ কামৰূপী কাৰণে নাম হ'ল কামদেৱ; ৰঙ্গলীলা কৰাত পটু কাৰণে নাম হ'ল কন্দৰ্প।

পিছে ব্ৰহ্মাৰ বৰ পাই কামদেৱৰ বৰকৈ বাঢ়ি আহিল। মোক্ষনো পিত ব্ৰহ্মাই কি পাঁচ পাট শৰ দিলে চাওঁচোন—এই ভাবি গোনকে তেওঁ ধ্যানস্থ ব্ৰহ্মাৰ প্ৰতিয়ে সেই পঞ্চ শৰ নিক্ষেপ কৰিলে। শৰৰ প্ৰভাৱত দশ পুত্ৰ আৰু কন্যা সন্ধ্যাৰ দ্বাৰা পৰিবেষ্টিত হৈ থকা ব্ৰহ্মাই কামোদ্বেগত এঙামুৰি দি উঠিল। তেওঁৰ সৰ্ব্ব শৰীৰত শিহৰণ জাগিল। অঙ্গ-কম্পন উপস্থিত হ'ল। তেওঁৰেই নহয়, ওচৰত থকা পুত্ৰসকল আৰু জীয়েক সন্ধ্যাৰ অন্তৰতো কামভাৱ জাগি উঠিল। কথা বিষম হ'ল। ব্ৰহ্মাই আত্মজ্ঞানশূন্য হৈ জীয়েক সন্ধ্যাৰ প্ৰতিয়ে কামপূৰ্ণ লোলুপ দৃষ্টি নিক্ষেপ কৰিবলৈ ধৰিলে। কন্যায়ো নাৰীসুলভ দৃষ্টিৰে লজ্জানম্ৰভাৱে তাৰ আশাপ্ৰদ প্ৰত্যুত্তৰ দিলে।

এনে সময়ত বিমানত উঠি আকাশেদি মহাদেৱ যাওক! তেওঁ তললৈ চাই তলত কামাসক্ত ব্ৰহ্মাৰ এই বিসঙ্গতিথন দেখি হাঁহিলে আৰু তললৈ নামি আহি কলে—'হেৰা প্ৰজাপতি, তুমি কি কৰিবলৈ ওলাইছা? ছিঃ ছিঃ, নিজৰ তনয়াৰ প্ৰতি তোমাৰ এনে কদাচাৰ অতি অশোভনীয়। বোৱাৰী (পুত্ৰবধূ) আৰু কন্যা দুয়ো মাতৃতুল্য (যথা মাতা তথা জামিৰ্যথা জামিস্তথা সুতা) ই বেদৰ সিদ্ধান্ত। তুমি নিজে সেই বেদৰ প্ৰকাশক হৈ কাৰ্য্যত কি কৰিবলৈ ওলাইছা? ছিঃ ছিঃ!'

ব্ৰহ্মাৰ আত্মজ্ঞান আহিল। শঙ্কৰৰ এনে উপদেশত তেওঁ খুব লাজ পালে। কথমপি আত্ম সম্বৰণ কৰি মহাদেৱক বিদায় দি তেওঁ কন্দৰ্পৰ প্ৰতি ক্ৰুদ্ধ হৈ কলে—'যি মহাদেৱৰ চকুৰ আগত তই মোক আজি নিজৰ পুত্ৰ উভয়ে এনে লাটিঘটি কৰি লাজ দিলি, বাছা, তেওঁৰেই নেত্ৰ-বহ্নিয়ে তোক এদিন পুৰি ভস্মীভূত কৰিব।'

'মদন' শুনি মহেশ, যি মহাদেৱে ব্ৰহ্মাক এনেকৈ লাজ দি হাঁহিলে, তেওঁকো এদিন সেই একেধৰণৰ [illegible] [illegible] ব্ৰহ্মাই [illegible] [illegible] কৰিলে। কামু-দেৱেও নিজৰ [illegible] [illegible] লাজ গুচাবলৈ আৰু পাহিলে এদিন [illegible] সেই একে ধৰণে এদিনাখন শিৱকো [illegible] [illegible] কৰিলে।

(৩)

'মাছৰ নেওচান লাওপতি
মিতিৰৰ নেওচান শালপতি।'

প্ৰজাপতি দক্ষৰ অনেক কন্যা আছিল। সেই কন্যাসকল প্ৰায় সকলোটিকে যোগ্যৱান দেৱতাসকলে বিয়া কৰাইছিল। তাৰে এগৰাকীৰ নাম আছিল সতী। সতীক বিয়া কৰাইছিল ভঙুৱা মহাদেৱে।

এবাৰ দক্ষই বিৰাট যজ্ঞ এটা পাতি তালৈ জী-জোঁৱাই সকলোকে নিমন্ত্ৰণ কৰিলে— নামাতিলে মাত্ৰ সতী আৰু মহাদেৱক। কাৰণ দক্ষই ভাবিলে মহাদেৱক মাতিলে তেওঁৰ বাকী জোঁৱাইসকলে তেওঁক বেয়া পাব; কিয়নো বাকী শালপতিসকলৰ লগত উঠা-বহা কৰিব পৰা সম্বল তেওঁৰ নাই।

মহাদেৱৰ পত্নী সতীয়ে পিতাকৰ এনে কাৰ্য্যত বৰ অপমান পালে। তথাপিও তেওঁ পতিৰ অনুমতি লৈ বিনা নিমন্ত্ৰণেই যজ্ঞ চাবলৈ পিতৃগৃহলৈ গ'ল। তাত সমাজৰ আগত নিজ পতি-নিন্দা সহ্য কৰিব নোৱাৰি তেওঁ যজ্ঞ-স্থলতেই যোগ-বলেৰে দেহ-ত্যাগ কৰিলে।

মহাদেৱে তেতিয়া সতীৰ মৃত-দেহ কান্ধত লৈ শোকত বলিয়াৰ দৰে হৈ অনাই-বনাই ঘূৰি ফুৰিছিল। শেষত তেওঁৰ কান্ধৰ মৰা-শ ভগৱান বিষ্ণুৱে চক্ৰেৰে কাটি পেলোৱাত তেওঁ ধ্যানত নিমগ্ন হ'ল।

ইফালে সতীয়ে দেহত্যাগ কৰি গৈ পুনঃ গিৰিৰাজ আৰু মেনকাৰ ঘৰত পাৰ্ব্বতীৰূপে জন্ম গ্ৰহণ কৰিলে। দিনে দিনে তেওঁ চন্দ্ৰ-কলাৰ দৰে বাঢ়ি আহিবলৈ ধৰিলে। ক্ৰমে গৈ যৌৱনত ভৰি দিয়াত তেওঁৰ সৰ্ব্ব অৱয়ৱত সৌন্দৰ্য্য ফুটি উঠিল। তেওঁ এনে ৰূপহী হৈ পৰিল যেন বিধাতাই সৃষ্টিৰ সকলো সৌন্দৰ্য্য গোটা খুৱাই চাই থাকিবৰ কাৰণেহে তেওঁক সৃজন কৰিলে ('সা নিৰ্ম্মিতা বিশ্বসৃজা প্ৰযত্নাৎ, একস্থ সৌন্দৰ্য্য দিদৃক্ষয়েৱ'—কুমাৰসম্ভৱম্)।

এনে সময়ত এদিন দেৱৰ্ষি নাৰদ আহিল গিৰিৰাজৰ ৰাজপুৰীলৈ! যাব যি খুজাৰ জি তাক কেনেকৈ এৰিব? নাৰদেও নিজৰ স্বাভাৱিক কৌতূহলৰ বশৱৰ্ত্তী হৈ ৰহস্যৰ ছলেৰে কৈ গ'ল যে সেই হীন দিন-

যুৱতী-কন্যাৰ দৰা হ'ব স্বয়ং ধূৰ্জটী-মহাদেৱ। কথাটো কাণত পৰিবৰে পৰা পাৰ্ব্বতীৰ অন্তৰত মহাদেৱৰ প্ৰতি অতৰ্কিতেই অনুৰাগ উপজিল।

গিৰিৰাজ হিমালয়ে ভাবিলে যোগীশ্ৰেষ্ঠ মহাদেৱক দৰা ধৰিবলৈ যোৱাটো এলাপেচা কথা নহয়। সন্তিৰ বাহ বুধিবেহে কাটিব লাগে বুলি ভাবি তেওঁ এটা অলপ আওপকীয়া বাট ললে। হাতীৰে হাতী বা শৰালীৰে শৰালী ধৰাৰ দৰে তেওঁ জীয়েকৰ সহায়ত জোঁৱায়েকক ধৰিবলৈ মনস্থ কৰিলে। শৰীৰৰ কান্তি উজ্জ্বল গৌৰ বৰ্ণৰ আছিল কাৰণে পাৰ্ব্বতীৰ অন্য নাম আছিল গৌৰী, আৰু মাকে আলিঙ্গনকৈ মৰমতে উ-মা বুলি সম্বোধন কৰিছিল কাৰণে তেওঁক উমা নামেও জনা গৈছিল।

পিতাক গিৰিৰাজে উমাক পঠালে ধ্যানস্থ শিৱৰ পৰিচৰ্য্যা কৰিবলৈ। উদ্দেশ্য আছিল সান্নিধ্য আৰু সাহচৰ্য্যৰ মাজেদি শিৱৰ অন্তৰত উমাৰ প্ৰতি প্ৰেমানুৰাগ জগাই তোলা। ধ্যানস্থ শিৱ আছিল তেতিয়া বৰষুণ দিবলৈ গুমোলাই থকা মেঘৰ দৰে, বতাহ নলগাত নকঁপা বন্তিৰ দৰে আৰু তৰঙ্গহীন সমুদ্ৰৰ দৰে—যোগমগ্ন। প্ৰকৃতিও আছিল তেনেই নিস্তব্ধ। সেই সময়ত অকস্মাৎ তাত আৱিৰ্ভাৱ হ'ল পুষ্প-ধনু মদনৰ আৰু লগে লগে ঋতুৰাজ বসন্তৰ। প্ৰবাসীকো প্ৰবাসত থাকিব নিদিয়ে বুলিয়ে বছৰৰ এছোৱা কালৰ নাম হ'ল বসন্ত ('বসত্যেৰতুষ্বুস্মাদ্ বসন্তাখ্যো ভৱত্যয়ম্' কাঃ পুঃ)। বসন্তৰ আগমনত শুকান বুঢ়া গছতো কুঁহিপাত আহে, শুকান হাড়-ছালতো তেজৰ পিৰ্ পিৰণি উঠে।

বসন্তৰ আগমনত সেই ঠাইতো শুকান গছে কুঁহিপাত মেলিলে। গছে গছে ফুল আৰু ফুলে ফুলে ভোমোৰাই গুঞ্জৰিবলৈ ধৰিলে। বন-বিহঙ্গৰ কাকলি-কূজনত পৰ্ব্বত-প্ৰান্তৰ থকমক লাগিল। মদন আৰু বসন্তৰ সমাগমত বতাহ কামগন্ধী হৈ উঠিল।

হাতত পুষ্প-ধনু লৈ মদনে দূৰৰ পৰা শঙ্কৰক লক্ষ্য কৰি একে একে পঞ্চ শৰ নিক্ষেপ কৰিবলৈ সাজু হ'ল। বসন্তৰ উৎকৃষ্ট পুষ্পৰাজিৰে সাজ-কৃতা পাৰ্ব্বতীক শঙ্কৰৰ ওচৰত থকা দেখি কাৰ্য্য সিদ্ধি সহজে হ'ব বুলি মদনৰ মনত আৰু উলাহ লাগিল। এনে পৰিবেশত 'পূৰ্ব্ব শত্ৰু মনে জানি' কামদেৱে শিৱলৈ বুলি পুষ্পবাণ প্ৰহাৰ কৰিবলৈ আৰম্ভ কৰিলে।

অতি অনুকূল পৰিবেশ আৰু মদনৰ পুষ্পশৰৰ প্ৰভাৱত যোগেশ্বৰ শিৱৰ

শৰীৰত ক্ৰমে মৃদু শিহৰণ উঠিল। তেওঁ লাহেকৈ চকু মেলিলে। দেখে সন্মুখত যুৱতী উমা। উমাই এখোজ আগ বাঢ়ি মহেশ্বৰক প্ৰণাম জনালে আৰু ফুলৰ মালা এধাৰি মহাদেৱৰ কণ্ঠত দিবলৈ সমভয়ে আগ বাঢ়িল। এই ছেগতে মদনে তেওঁৰ হাতৰ পৰা সন্মোহন নামৰ শ্ৰেষ্ঠ বাণ পাট শিৱলৈ প্ৰহাৰ কৰিলে। বাণৰ প্ৰভাৱত শিৱৰ হিয়াত প্ৰেমউৰ্মিৰ উথল-মাথল লাগিল। তেওঁ আত্মজ্ঞান হেৰুৱাই (হৰস্তু কিঞ্চিৎ পৰিলুপ্তধৈৰ্য্যঃ) বিম্বাধৰা উমাৰ প্ৰতি ধুলধুলীয়া চকুৰে কামলোলুপ দৃষ্টি নিক্ষেপ কৰিলে। উমাই প্ৰিয়জনৰ এনে মধুৰ ব্যৱহাৰত লাজতে মুখখন অলপ ঘূৰালে।

কিন্তু এই অৱস্থাৰ শীঘ্ৰেই অভাৱনীয়ভাৱে পৰিবৰ্ত্তন ঘটিল। পিছৰ মুহূৰ্ত্ততে যোগীশ্বৰ শিৱ প্ৰকৃতিস্থ হ'ল। তেওঁ দূৰলৈ দৃষ্টি নিক্ষেপ কৰি দেখে কন্দৰ্পই তেওঁক লক্ষ্য কৰি অবিৰাম শৰ সন্ধান কৰিব লাগিছে। তেওঁৰ উগ্ৰ ক্ৰোধ উপজিল। খণ্ডতে তেওঁৰ কপালৰ তৃতীয় নয়নৰ বহ্নি জ্বলি উঠিল। এই অগ্নিয়ে কামদেৱক তুৰন্তে ভস্মসাৎ কৰি পেলালে। চাৰিও ফালে হাহাকাৰ লাগি পৰিল!

ইফালে পাৰ্ব্বতীৰ হ'ল কি? তেওঁ ভাবিলে—কি বিৰাট ব্যৰ্থতা! অঙ্গৰ এনে অসামান্য ৰূপ, শৰীৰৰ এনে কমনীয় কান্তি—সকলো বিফল; মদন আৰু বসন্তৰ সহায়ত মোহিনী বেশত স্বয়ং ভগৱানকে ভুলাবলৈ যত্ন কৰিছিলোঁ; কিন্তু ব্যৰ্থ হ'লো। এইবোৰ মিছা মায়া! এতিয়াহে ভুল ভাঙিল।—ইয়াকে ভাবি তেওঁ ঘৰলৈ উভতি খোজ ললে—চিন্তা আৰু উদ্বেগেৰে—"শূন্যা জগাম ভবনাভিমুখী কথঞ্চিৎ।"

ঘৰ পাই উমাই স্থিৰ কৰিলে—এইবাৰ তপস্যাৰ বলেৰে মহাদেৱক পোৱা যায়নে নাযায় চোৱা যাব। মাক-বাপেকে তেওঁক তপস্যাৰ পৰা বিৰত থাকিবলৈ কত বুজালে, কত কলে, কিন্তু সকলো মিছা হ'ল। উমা এইবাৰ মোহিনী গুচি যোগিনী হ'ল। বাকলি-বসন পৰিধান কৰি, জটাযুট মস্তকেৰে তেওঁ গৈ গৌৰীশঙ্কৰ শিখৰত তপস্যা আৰম্ভ কৰিলে। বৰ্ষাৰ জলধাৰা, শীতৰ ঠেঁৰেঙা লগা জাৰ, গ্ৰীষ্মৰ প্ৰখৰ সূৰ্য্য-তাপ একোলৈকে তেওঁ ভ্ৰুক্ষেপ নকৰিলে। গছৰ পকা পাত আৰু নিজৰাৰ পানীয়েই হ'ল তেওঁৰ একমাত্ৰ আহাৰ।

এইবাৰ মহাদেৱৰ অন্তৰ জয় কৰা হ'ল। তেওঁ থিৰে থাকিব নোৱাৰিলে। ছদ্মবেশে পাৰ্ব্বতীৰ ওচৰত উপস্থিত হৈছাহি। হাতত লাখুটি-কমণ্ডলু লৈ তেওঁ আহি গোনতে উমাক সুধিলে—'আই, তোমাৰ কুসুম-কোমল দেহটোত ইমান কষ্ট দিছা কিয়? তোমাক কি লাগে? তুমি যাৰ বাবে তপস্যা কৰিছা তেওঁ হৃদয়হীন! তুমি পিনাক-পাণিক পতি-ৰূপে পাবলৈ তপস্যা কৰিছা? এই কথাৰ লেই কৰ হৰ নোৱাৰে। বান্দৰৰ ডিঙিত মুক্তাৰ হাৰ হয়। শঙ্কৰ মাজৰ সেই বলিয়াটোৰ নো কি আছে যে তেওঁক তুমি পতিৰূপে পাবৰ কাৰণে ধ্যান কৰিছা? তেওঁৰ নাই বিত্ত, নাই কুল, নাই যশ, নাই প্ৰতিষ্ঠা; নাইনে নাই, একেবাৰে নাই। শুনিছো বোলে কন্যাই চায় ৰূপ, মাকে ধন, পিতাই বিদ্যা, আত্মীয়সকলে চায় কুল আৰু সাধাৰণ লোকক লাগে খাব পাবলৈ—মিষ্টান্নমিতৰেজনাঃ। শঙ্কৰৰ এইবোৰৰ এটাও নাই। তেওঁৰ জন্মৰ নাই ঠিকনা, অৰ্থ সম্পদ হ'ল শূন্য, বাসস্থান শ্মশান, সঙ্গীসকলোৰ হৈছে ভূত-প্ৰেত। কপালত অন্য একো নাই, আছে একুৰা জুই। ছিঃ ছিঃ তেওঁৰ আশা তুমি এৰি দিয়া, আই।'

ব্ৰাহ্মণে এইদৰে যিমানে শিৱ-নিন্দা কৰিছে, পাৰ্ব্বতী সিমানে বিৰক্তি আৰু ক্ৰোধত একো-নাই হৈছে। শেষত তেওঁ আৰু সহ্য কৰি থাকিব নোৱাৰিলে। কলে—'ব্ৰাহ্মণ, তুমি ক্ষুদ্ৰ টোকোনা বামুণ। সেই বিৰাট পুৰুষ মহাদেৱৰ ব্যক্তিত্বৰ কি ধাৰণা কৰিবা? তোমাৰ লগত মই আৰু কি তৰ্ক কৰিম? মুঠ কথা, শঙ্কৰ নিৰ্গুণ হওক, সগুণ হওক, সুৰূপ হওক, কুৰূপ হওক—তেওঁক মই মনপ্ৰাণ সঁপি দিছোঁ। তেওঁৰ নিন্দা মই সহিব নোৱাৰোঁ। তুমি গুচি যোৱা।'

পাৰ্ব্বতীৰ মুখৰপৰা এনে কথা ওলোৱাৰ লগে লগে তেওঁৰ সন্মুখত থিয় হৈ থকা বামুণৰ ৰূপ চাওঁতে চাওঁতে সলনি হ'ল। তেওঁৰ জটাৰ পৰা জাহ্নবীয়ে দেখা দিলে, কপালৰ তৃতীয় নয়ন উজলি উঠিল আৰু আগ মূৰত দ্বিতীয়াৰ চন্দ্ৰকলা স্পষ্ট হ'ল! তেন্তে তেৱেঁ ছদ্মবেশী শঙ্কৰ নেকি?

পাৰ্ব্বতীয়ে কৈ উঠিল—'প্ৰভু, শুনিছো তুমি হেনো আশুতোষ। তেন্তে তোমাৰ নো এতিয়াহে ক্ষুণ্ণলৈ মনত পৰিল নে? ইমানবোৰ পৰীক্ষা কৰিব লাগিছে কিয়? তুমি জানো অন্তৰ্য্যামী নোহোৱা?—'

তেতিয়া মহাদেৱে সম্পূৰ্ণৰূপে দেখা দি পাৰ্ব্বতীৰ হাতত ধৰিলে। পাৰ্ব্বতী ন যযৌ ন তস্থৌ অৱস্থাত ৰ'ল—

মাৰ্গাচলব্যতিকৰাকুলিতেৱ সিন্ধুঃ।
শৈলাধিৰাজতনয়া ন যযৌ ন তস্থৌ।

মহাদেৱে কলে—'পাৰ্ব্বতী, তোমাৰ তপস্যাই মোক জয় কৰিছে। আজিৰ-পৰা মই তোমাৰ ক্ৰীতদাস—"অদ্য প্ৰভৃত্যবনতাঙ্গি তৱাস্মি দাসঃ।"

হৰ-গৌৰীৰ যথাৰীতি বিবাহ হ'ল। শিৱই এইবাৰ আৰু বিচ্ছেদ নহ-বৰ কাৰণে যথাৰ্থতে পাৰ্ব্বতীক তেওঁৰ অৰ্দ্ধাঙ্গেৰে অৰ্দ্ধাঙ্গিনী ৰূপ দিলে। তেওঁ নিজে অৰ্দ্ধনাৰীশ্বৰ হ'ল। হৰ-গৌৰীৰ অচ্ছেদ্য অপ্ৰেম্য মিলন ঘটিল। সেইকাৰণেই শিৱৰ অন্য নাম অৰ্দ্ধনাৰীশ্বৰ হয়। এই অৰ্থতেই বিবাহ-বন্ধনৰ পিছত পত্নী হৈ পৰে পতিৰ অৰ্দ্ধাঙ্গিনী। অসাৰ সংসাৰত হেনো মৃগ-নয়না নাৰীয়েহে পুৰুষৰ কাৰণে একমাত্ৰ সাধনাৰ সামগ্ৰী। সেই নাৰী আৰু সংসাৰৰ কাৰণেই মানুহে অশেষ কষ্ট কৰি ধন ঘটে। তেনেকুৱা নাৰীয়ে যদি পুৰুষৰ সঙ্গ ত্যাগ কৰিব লাগিল—তেনেহলে সেই পুৰুষৰ আৰু সং-সাৰৰ প্ৰতি মোহ-মমতা নাইকিয়া হয়। ইয়াকে ভালকৈ বুজি পোৱা কাৰণেই মহাপ্ৰভু হৰই পাৰ্ব্বতীক নিজৰ শৰীৰৰ অৰ্দ্ধৰূপে ধাৰণ কৰিছিল—

"অসাৰে খলু সংসাৰে পূজ্যা সাৰঙ্গলোচনা
তদৰ্থে ধনমিচ্ছন্তি তত্ত্যাগে ধনেন কিম্?
অসাৰভূতে সংসাৰে সাৰভূতা নিতম্বিনী
ইতি সঞ্চিন্ত্য বৈ শম্ভুৰৰ্দ্ধাঙ্গে পাৰ্ব্বতীং দধৌ।"

ত্যাগ আৰু তপস্যাৰ মাজেদি ভৱিষ্যৎ বিচ্ছেদৰ আশঙ্কা জয় কৰি হোৱা হৰ-গৌৰীৰ এই মিলনকেই বৰা-কন্যাবো ভৱিষ্যৎ জীৱনৰ আদৰ্শ হওক বুলি আশীৰ্ব্বাদ দিয়া হয়—হৰ-গৌৰীৰ বসতি হওক।

—•—

মায়া নে মতিভ্ৰম

দীঘলীয়াকৈ চিঠি লিখা বহুত মানুহৰ অভ্যাস। মোৰ বন্ধুজনেও মোলৈ লম্বা লম্বা চিঠি লিখে। চিঠিবোৰ অৱশ্যে প্ৰেমপত্ৰ নহয় আৰু বন্ধুজনো এজন সম্ভ্ৰান্ত ভদ্ৰলোকহে, মহিলা বা গাভৰু নহয়। প্ৰেমপত্ৰ দীঘল হলে দেখিবলৈ ভাল। কাৰণ প্ৰেমৰ তোলতাল খৰখৰ তোলৰ দৰে—টানি থকা যায় মানে দীঘল হয়। প্ৰেমত পৰা মানুহবো সেই একে কথা। প্ৰেমত পৰা মানুহৰ প্ৰেমৰ কথাৰ অন্ত নপৰে। ভূতে ধৰা মানুহৰ দৰে তেওঁ সেই একেবোৰ কথাকে কৈ থাকি আৰাম পায়। সেই কাৰণেই কবি, পাগল আৰু প্ৰেমিক এবাসকল তিনিওকে একে পৰ্য্যায়ৰ প্ৰাণী বুলি সেক্সপীয়েৰে কৈ গৈছে। মোৰ বন্ধুজন কিন্তু দেখাত উপৰোক্ত কোনোটো শ্ৰেণীত নপৰে। চিঠি লিখিবলৈ ললে কিন্তু তেৱোঁ সদায় একোখন মহা-ভাৰত লিখে। ময়ো অৱশ্যে সেইবোৰত ৰস পাওঁ আৰু পঢ়ি উঠি একোটা টিপ্পনী দি উত্তৰ দিওঁ। বৰ ব্যস্ত সময়ত অহা তেওঁৰ দুই একোখন চিঠি কেতিয়াবা মোৰ জেপতে সপ্তাহ দুসপ্তাহলৈ নোখোলাকৈয়ে ৰৈ যায়। সময় পালে সেইবোৰ খুলি নিৰলে পঢ়োঁ। আচৰিত কথা এই যে তেওঁৰ চিঠিত সদায় এটা নহয় এটা গল্প বা কাহিনী থাকেই। কাহিনীবোৰ কেতিয়াবা দীঘল হয়, কেতিয়াবা চুটি। কেতিয়াবা চিঠিখনত মাত্ৰ কাহিনী একোটাহে থাকে। মই তেওঁক সেইবোৰ তেওঁৰ মনেগঢ়া গল্প নেকি সুধি পঠাইছিলোঁ। উত্তৰত তেওঁ লিখিছিল—মই হলফ্ লৈ কব পাৰোঁ, মই যি লিখোঁ সঁচা কথা লিখোঁ; সঁচাৰ বাহিৰে মিছা নিলিখোঁ'। তেওঁৰ অনুমতিক্ৰমে তেওঁৰ এখন চিঠি আজি পাঠকসকললৈ আগবঢ়ালোঁ। তেওঁ মানুহজন স্বভাৱতে লাজকুৰীয়া কাৰণে তেওঁ বাধা দিয়াত সম্পূৰ্ণ নাম প্ৰকাশ কৰা নহ'ল। আগতে কৈ থোৱা ভাল যে তেওঁ বিবাহিত লোক। লৰা-ছোৱালী এতিয়ালৈ পাঁচোটা। পুৰণি পত্নী। হেলা—পৰিয়াল-পৰিকল্পনাত আগবঢ়া দেখা যোৱা নাই। গৃহিণীজনী বৰ আজলী তিৰোতা।

তাকে দেখি দুই এজন চকুচৰহা লোকে কয়—এই আকৰীজনীৰ লগত শইকীয়া হাকিম যে গাধীৰে গুৰে মিলাৰ দৰে কেনেকৈ মিলি যাব পাৰিছে, আমি হ'লে আচৰিত হওঁ। সঁচাকৈয়ে দুয়োৰো ভিতৰত বৰ মিল। এতিয়া তলত তেওঁৰ চিঠিখনৰ হুবহু উদ্ধৃতি দিয়া হ'ল। অলমতিবিস্তৰেণ; ইতি চিঠি—

বন্ধু,

আগৰ চিঠিত ডিব্ৰুগড় কেনেকৈ পালোঁহি আৰু মাহীদেউইতৰ ঘৰ পোৱাত তেওঁলোকৰ আদৰ-আপভালত বেমাৰ কেনেকৈ গুচা যেনেই লাগিছিল—লিখিছিলোঁ। আজি ডিব্ৰুগড মেডিকেল কলেজত ভৰ্ত্তি হৈ চিকিৎসাধীন থাকোঁতে তাৰ নাৰ্চবোৰ নো কেনে পাইছিলোঁ, সেই সম্পৰ্কে এটা ঘটনা লিখিলোঁদেই। কেনে পোৱা লিখিবাচোন। তোমাৰ মন্তব্যবোৰ চোকা যদিও মোৰ ভাল লাগে। মন্তব্য পাবৰ কাৰণেই মই তোমালৈ চিঠিবোৰত সত্য কথা অকপটে লিখোঁ।

তাত নানা প্ৰবন্ধে এটা কম কোনোমতে লৈ পোনতে মই অকলে আছিলোঁ—পেয়িং ওৱাৰ্ডত। তুমি সেইটো জানা। তাত থাকোঁতে নাৰ্চ কেইগৰাকীৰ লগত সচৰাচৰ মই ইংৰাজীতে কথা পাতিছিলোঁ। পিছত গম পালোঁ—সিহঁতে অসমীয়াও বড়িয়াকৈ জানে। তাৰ দুজনী যে তিনিজনী হেনো অসমীয়া নাৰ্চ। সিহঁতে অসমীয়া মানুহবোৰৰ অলপ আলেঙে আলেঙে থাকি ভাল পায়। কিবা ইতিহাস আছে—চাগে।

মো'ৰ পৰিচৰ্য্যা কৰিছিল মাইকৈ তিনিজনী নাৰ্চে। তাৰে এজনী গাৰো, এজনী খাচীয়া আৰু এজনী বঙালী। তিনিওজনীৰে যেঁছ মোহলগা ব্যৱহাৰ। খাচীয়াজনী বৰ ৰাংচালী। গাৰোজনী ধুনীয়া আৰু বঙালীজনী অতিশয় অমায়িক। খাচীয়া আৰু গাৰো নাৰ্চ দুজনীয়ে মোৰ লগত বহুত দিনলৈ ইংৰাজীতে কথা পাতিছিল।

তুমি জানাই যে মোৰ বেথাত তেনেকৈ একো বেমাৰ নাছিল। বুকুৰ ভিতৰত কিবা বেদনা হৈ উশাহ নিশাহত কষ্ট পোৱা কাৰণে মেডিকেল হস্পিটেলত মাজলীয়া হৈছিলোঁ। ৰবলোকসকল 'হাৰ্ট'ৰ বেমাৰতে প্ৰায়ভাগ সবজে। ময়ো ভাবিছিলোঁ ৰবলোকৰ পাৰীতে উঠিলোঁ হবলা। মাজে-মাজে পত্নীক সেই বিষয়ে কৈছিলোঁও; তেওঁ কিন্তু সেইবোৰ শুনি—

আপুনি এইবোৰ ভাবি থাকিলে আমি কি কৰিম বুলি চকুলো টুকি মোৰ ওচৰৰ পৰা উঠি গৈছিল।

হস্পিটেলত থাকোঁতে ৰোগনিৰ্ণয়ৰ কাৰণে মোৰ ওপৰত পৰীক্ষাৰ কি অত্যাচাৰে যে নহ'ল! তুমি জানাই ভেষজবিভাগৰ ভবিয়ালজনেই মোৰ বন্ধু। গতিকে অত্যাচাৰৰ কোৰ আৰু চৰিছিল।

বিছনাত বিশেষ বেমাৰ মাথাৰিলেও পৰি থকাটো কম বিৰক্তিৰ কথা নহয়। তথাপি থাকিব লাগে কাৰণে থাকোঁ। অন্ততঃ সদায় ডাক্তৰ অহা সময়খিনিত ঠিক থাকোঁ। ভাল লগাই বালি-পুথি আগত লৈ একান্তমনে পঢ়ি থকাৰ দৰে শান্ত শিষ্ট হৈ থাকোঁ। বাকী সময় উঠি, বহি, দুই এফোটা কমলৈ গৈ, গল্প কৰি কটাও। গল্প কৰিবলৈও লগ-লগ বেছি নাছিল। খবৰ লবলৈ অহা লোকৰ ভিতৰত দুই এজনা ভদ্ৰলোক বা মহিলা আৰু আৰু মেডিকেল কলেজৰ অধ্যাপক আৰু ছাত্ৰ। ছাত্ৰসকলৰ ভিতৰত এগ-ৰাকী ছাত্ৰীও আছিল; তেওঁ কেৰেলাৰ। মেডিকেল কলেজত পঢ়া আমাৰে শ্ৰীমান মণিৰ কলেজ-বান্ধবী। ছোৱালীজনীয়ে অসমীয়া সৰসৰীয়াকৈ কব পাৰে আৰু কথা-বতৰাত মানুহ মোহ নিয়াব পাৰে। মহাদেৱৈৰ ঘৰৰ ল'ৰা-ছোৱালীবোৰ আৰু মাইদেউ নিজে সঘনে গৈ ইটো সিটো নি দি মোক বৰ আলাসত ৰাখিছিল। মষ্ণো 'দেহাৰ নাই ভাৰসা, ধনবস্তুৰ নো কি আশা' বুলি ভাবি বেছিকৈ খৰচ কৰি খোৱাৰ বিশেষ ব্যৱস্থা কৰিছিলোঁ। সদায় পুডিং, কণী, মাছ, মাংস, দৈ, মাখন. গাখীৰ, ফল আদি হবেকৰকমৰ বস্তু খাই-খাই আমনিয়ে লগা হৈছিল। ঔষধ আকৌ প্ৰায় দুঘণ্টাই দুঘণ্টাই একোবিধ খাব লাগে। নাৰ্চবোৰে খুৱাই দি যায়হি।

খাটীয়া নাৰ্চগৰাকীয়ে সদায় পুৱা-গধূলি মোৰ 'টেম্পাৰেচাৰ' চাই লিখি লৈ গৈছিলহি। মোৰ জ্বৰ নাই, তাপ নাই, তেনেস্থলত 'টেম্পাৰেচাৰ' -সদায় তেনেকৈ লোৱাৰ মানে কি মই বুজিব পৰা নাছিলোঁ। এদিন নাৰ্চ-জনীক সুধিলোঁ—'ভনীটি, মোৰ নো 'টেম্পাৰেচাৰ' নি তোমালোকে কি কৰা?

উত্তৰত তেওঁ কলে—'সেইটো আমাৰ কৰ্তব্য।' তাৰ পিছত তেওঁ 'টেম্পা-ৰেচাৰ' নিবলৈ আহিলে মই ধেমালিতে কওঁ—'কৰ্তব্য কৰিবলৈ আহিলানেকি 'ভনীটি?'

—'এৰা আহিছোঁই নাহিব?'

—'কিয়! বৰ দুখ মনে কৰা যেখোন! আহিবলৈ বেয়া লাগে নেকি? সদায় একে কাম কৰি বেয়া লাগে চাগে!'

—'একে কাম নহয়। কোনে কলে একে কাম বুলি? আমাৰ অনেক কাম। আপুনি নেদেখিলে কি বুজিব?'

—'কি কি কাম নো? আমি দেখাত যেখোন সেই একেটা বগা পোচা-ককে পিন্ধি ধুনীয়া সাজপাৰত তোমালোকে সদাই সেই একেবোৰ কামকে কৰি ঘূৰি ফুৰা। অৱশ্যে মাইকীমানুহে কৰিবলৈ বেছি কাম নাথাকিলেও চেৰ কাম বোলাটো তেওঁলোকৰ এটা অভ্যাসেই। আমাৰ পত্নীয়েও তোমাৰ দৰেই কয়।'

—'আপোনাৰ পত্নী এটা কামত থাকিব পাৰে। একো কাম নকৰাকৈও থাকিব পাৰে, আমি নোৱাৰো। আমাৰ অনেক কাম। আমি পঢ়িবও লাগে।'

—'তেন্তে বৰ ভাল কথা। একে কাম হলেহে বেয়া। যেনে আমাৰ এতিয়া! সেই একে ধৰণে খাইছোঁ, পঢ়িছোঁ, গল্প কৰিছোঁ আৰু শুইছোঁ' অন্য কাম নাই। পিছে ভনীটি, মোৰ নো বেমাৰ কি?'

—'আপোনাৰ বেমাৰ কি মই কেনেকৈ কম? বেমাৰীয়েহে জানে নিজৰ বেমাৰ কিটো! আমি জানিবলৈ আমাৰ ইয়াত এতিয়াহে আপোনাৰ পৰীক্ষা চলিছে। ডাক্তৰে পৰীক্ষা কৰি কব নহয়!'

—'ডাক্তৰেতো কবই। তোমালোকে কব নোৱাৰা নেকি? ইমান দিন এইবোৰ কাম কৰি থাকি তোমালোকেও জানিব লাগিছিল যেখোন।'

—'আমি জানিছোঁ। নকওঁ পিছে। পৰীক্ষাত অসুৰ উত্তৰ কৈ দিব নাপায়। আপুনি বিবাহিত নহয় নে?'

—'এৰা। নহলেনো তোমাক মোৰ পত্নীৰ কথা কওঁনে? তেঁৱা দুই এদিনতে পাবহি! কিয়নো সুধিলা?'

—'জানিবৰ কাৰণে সুধিলোঁ। তেন্তে তেওঁ আহিলে ঘৰখন ইয়াতে পাতিব পাৰিব। এতিয়া বৰ অকলশৰীয়া পাইছে নহয় নে?

'এৰাহে! তোমালোকো আহি শুশ্ৰূষাৰ দণ্ডে খন্তেক ঐ ঔষধ খুৱাই, 'টেম্পাৰেচাৰ' চাই গুচি যোৱা। কথা এষাৰ পাতিবলৈও লগ নাপাওঁ। পিছে হাতখনত টিপি নধৰাকৈ জানো 'টেম্পাৰেচাৰ' চাব নোৱাৰি? মুখত বা কাষলতিৰ তলত থাৰ্মোমিটাৰত 'টেম্পাৰেচাৰ' উঠে নেকি?'

—'সেইটো আমাৰ নিয়ম। হাতত ধৰি 'পালচ্' চাওঁ।'

—'তেন্তে তোমালোক নাৰী-জ্ঞান থকা নাৰীও, বুজিব্যাজো। পিছে আমাৰ হিন্দু ধৰ্ম্মমতে গাভৰু ছোৱালীয়ে মতাৰ হাতত, আৰু মতাই তোমাৰ দৰে গাভৰু ছোৱালীৰ হাতত ধৰিলে লেঠা লাগে।'

—'কি লেঠা?'

—'কি লেঠা মানে—সিহঁতৰ ভিতৰত বিয়া হৈ যায়। মোৰ শৰীৰত আছি এইবোৰ দেখিব লাগিলে চাগৈ তেওঁ বা আৰু কি ভাবে!'

—'কি ভাবে মানে?'

—'ধৰ্ম্মভ্ৰষ্ট হোৱা বুলি ভাবে নেকি অৰ্থাৎ ধৰ্ম্মতঃ মই তেওঁৰ হাতৰ পৰা পিচলি যোৱা বুলি ভাবে নেকি?'

নাৰ্চজনীয়ে হাঁহি কলে—'কৰ্ত্তব্য এনেকুৱাই। ইয়াকে কৰোঁতে আমি যদি কাৰবাৰ ধৰ্ম্মও নষ্ট কৰোঁ তেও সি আমাৰ কৰ্ত্তব্য। নহয় জানো?'

কথাটো মোৰ সাঁথৰ যেনহে লাগিল। যথাযথ উত্তৰ দিব নোৱাৰি কলোঁ—'বঢ়িয়া কথা! পিছে মোৰ হাতত ধৰি 'পাল্চ' চাওঁতে তুমি যেখোন কথা পাতিয়ে কটোৱা। তোমাৰ সিথন হাতত থকা সৌ সেই-ডালনো কি? সেইডাল যেখোন কেতিয়াবা পূজাৰী বামুণে ঘণ্টা বজোৱাৰ দৰে লটৰ পটৰ কৰি দিয়া। তাৰ নো মানে কি?'

—'কথা পাতিলেও আমি 'পালচ্' বুজি পাওঁ। আপুনি কথা পাতি পাতি অন্য কাম নকৰে নেকি?'

'অন্য কাম মানে?'

—'ধৰক ভাতখোৱা, চাহখোৱা, শোৱা ইত্যাদি। আৰু শুনক। আমাৰ হাতৰ এইডালত পাৰা বাখৰ আছে। পাৰাখিনি সৰি সৰি গৈ তলত পৰি সাং হলে আমাৰ এক মিনিট হয়, তেতিয়া আকৌ ওভতাই দিওঁ। এয়ে আমাৰ ঘড়ী।'

কথাখিনি কৈ নাৰ্চগৰাকী গুচি গ'ল। কাম হৈ গলে সিহঁত কেতিয়াও এক মুহূৰ্ত্তও অবাবত বৈ নাথাকে। সিহঁতৰ কৰ্ত্তব্যপৰায়ণতা দেখি আচৰিত হব লাগে। ইয়াৰ নাৰ্চবোৰেহে দেখিছোঁ ৰোগীৰ লগত কথা পাতি ৰোগীক মৰম কৰে; ছিলং বা গুৱাহাটীৰ ডাক্তৰখানাত নাৰ্চবোৰে যন্ত্ৰৰ দৰে কাম কৰি থাকে।

দুপৰীয়া অন্য নাৰ্চ এগৰাকীয়ে ঔষধ খুৱাই গ'লহি। সন্ধিয়া আকৌ সেই খাটীয়া নাৰ্চজনী আহিল আৰু মোক গাখীৰ আৰু কটি এটুকুৰা খাবলৈ দি কলে—'আপোনাক আজি ভাত খাবলৈ দিয়া নহয়।'

"কিয় ? মইনো কি অপৰাধ কৰিলোঁ ।?'

—'অপৰাধ কি কৰিছে দেখিব নহয়। মই যি কৰিবলৈ কওঁ, আপুনি আজি ওজৰ আপত্তি নকৰাকৈ তাকে কৰিব লাগিব।'

—'আঁও, ই কি কথা ? তুমি বা আৰু কি কৰিবলৈ কোৱা ! তোমাক ঔষধ খুৱাবলৈ নোকোৱা তো ?'

—'নকওঁ বাৰু। যেতিয়া যি কৰিব লাগে কম নহয়। আপোনাৰ ভয় কি আছে ? কষ্ট যি হয় আমাৰহে।'

—'ধন্যবাদ ভনীটি ! কাৰো কষ্ট নহলেই ভাল !'

যথাসময়ত গাখীৰ আৰু কটি টুকুৰা খালোঁ। তাৰ পিছত বিছনাত উঠি পঢ়িবলৈ ললোঁ। তাৰ কিছু সময় পিছত ৰাতি প্ৰায় ৯।। মান বজাত সেইগৰাকী নাৰ্চেই আহি মোক 'ছুচ' দিলে। 'ছুচ' দিয়া হ'লত—'ক্ষমা কৰিব দেই' বুলি গুচি গ'ল। মোৰ বৰ বেয়া লাগিল—গা বেয়া লগা নাই, মনটো বেয়া লাগিল। ইহঁত বেচেৰীহঁতৰ কামবোৰ কেনে ধৰণৰ ! ইহঁতৰ জীৱন কিমান মহৎ আৰু উদাৰ ! এনেবোৰ নকৰিব লগীয়া কাম কৰিও কয়—ক্ষমা কৰিব ! শিষ্টাচাৰে সঁচাকৈয়ে মানুহৰ অন্তৰ জয় কৰিব পাৰে।

পিছত প্ৰায় ১০।। মান বজাত তেওঁ আকৌ মোৰ ওচৰলৈ আহি 'টেম্পাৰেচাৰ' ললে। তেওঁক মই অসময়ত 'টেম্পাৰেচাৰ' লবলৈ অহাত অলপ আচৰিত হৈ সুধিলোঁ—'আজি আকৌ কি হ'ল ? দহ বজাত 'টেম্পা-ৰেচাৰ' নি কি কৰিবা ?

—'কাম আছে। আপুনি গা কেনে পাইছে ?'

—'ঠিক আছে। বৰং ভাত নোখোৱাত পাতল পাতল লাগিছে।'

—'চাব আকৌ, বেছি পাতল হলে উৰি যাবলৈ। নকলোবোৰ শুইছে। আপুনিও এতিয়া টোপনি যাবক। উৰি নাযাব। অ' এটা কথা। দুৱাৰখন বন্ধ কৰি শুব। জপাই থব, কিন্তু ভিতৰৰ পৰা বন্ধ নকৰিব। মই ৰাতি দুইবাৰ বজাত আহিম।—'

কথাখিনি কৈ নাৰ্চজনী সাউৎ কৰে ওলাই গ'ল। মই তেওঁৰ কথাৰ একো মৰ্ম বুজিব নোৱাৰিলোঁ। দুৱাৰ বন্ধ কৰিবলৈ দুৱাৰ মুখলৈ উঠি গৈ দেখো তেওঁ গৈ কোনোবা ধুবুৰী পালেগৈ। মই বিছনাত বহি বহি বিছনাখনৰ বিষয়ে কিবা কিবি ভাবি কটালোঁ। এবাৰ ভাবিলোঁ—ভুল শুনিছোঁ নেকি?—তাৰ পিছত দুৱাৰখন জপাই লাইট নুমাই বিছনাত চকু মুদিলোঁ।'

তন্দ্ৰা আহিল। চাৰে এঘাৰ কি বাৰ মান বজাত দুৱাৰখন কোনোবাই অলপ খোলা যেন লাগিল। সাৰ পালোঁ। বিছনাতে জাপ্‌ মাৰি উঠি গম ললোঁ কোনোবা আহিছে নেকি? বাহিৰত লাইট জ্বলি আছিল। খিৰিকীয়েদি কাকো নেদেখিলোঁ। হাতত সাৰে ভৰিত সাৰে দুৱাৰমুখলৈ গৈ দুৱাৰ খুলি চালোঁ—কোনো নাই। লাইট জ্বলাই চালোঁ—কোনো নাই। ঘূৰি আহি আকৌ শুলোঁ। চিল্‌মিলীয়া টোপনি আহিব খুজিছিল—হঠাৎ ভাবিলোঁ দুৱাৰখন বন্ধ কৰি লওঁ, নহলে টোপনি নহব। কিন্তু পিছ মুহূৰ্ত্তত আকৌ ভাবিলোঁ—নাৰ্চেতো দুৱাৰ খুলি ৰাখিবলৈ দিছে। চুটকেচটোত দুশমান টকা আছিল। ভাবিলোঁ যদি কোনোবাই আহি চুটকেচটোকে দাঙি লৈ যায়! এই ভাবি লাইট জ্বলাই চুটকেচৰ টকাখিনি বিছনাৰ গাৰুৰ তলত থলোঁহি, আৰু লাইট নুমাই শুই পৰিলোঁ। টোপনি আহিল।

সপোনত দেখিলোঁ—নাৰ্চজনীয়ে মোক মাতিছেহি। সাৰ পাই উঠি তৎক্ষণাৎ লাইট আকৌ জ্বলালোঁ। কাকো নেদেখি বেয়া লাগিল। ৰাতিটো আজি এইদৰে যাব নেকি? ঘড়ীটোলৈ চাই দেখো দুই বাজিবলৈ এতিয়াও ১৫ মিনিট আছে। আকৌ লাইট নুমাই শুলোঁ।

আকৌ টোপনি আহিল। কিছুপৰ পিছত দুৱাৰত কোনোবাই টুকুৰিওৱা শব্দ শুনিলোঁ। টোপনি ভাগিল কিন্তু ভাবিলোঁ—এইবাৰ নহৈছে। এইবাৰ সঁচা হ'লেও উঠি নাযাওঁ। শুই থাকিলোঁ।

দুৱাৰখন সঁচাকৈয়ে কোনোবাই লাহেকৈ খুলিলে। গম পালোঁ কোনোবা এজন ভিতৰ সোমাই আহিছে আৰু ইকালে সিকালে কিবা বিচাৰি ফুৰিছে। এবাৰ মোৰ বিছনাৰ কাষলৈকো আহিল। বুকু নে ধৰ! মই সাহ কৰি সুধিলোঁ—'কোন?'

উত্তৰত শুনিলোঁ—'চিঞৰ। চুইচ্‌ ক'ত?'

—'কিয়?'

—'আপোনাৰ। আপোনাৰ লাইটৰ।'

—'মোৰ লাইটৰ? মোৰ লাইটৰ চুইচ, তুমি কেনেকৈ পাবা? ৰবা, মই নিজে জ্বলাই দিওঁ।'

—'নালাগে; পাইছোঁ—' বুলি কেনৰ চুইচ খুলিলে, তাৰ পিছত বন্ধ কৰি ওচৰতে থকা লাইটৰ চুইচ টিপি লাইট জ্বলালে।

দেখিলোঁ, সেই আগৰ চিনাকি চিন্তাৰজনীয়ে। মুখত অলপ হাঁহি, হাতত 'টেম্পাৰেচাৰ' চোৱা কিবাটো। মোৰো দেখি হাঁহিহে উঠিল। কলোঁ।—'ইমান ৰাতিও আকৌ আহিলা 'টেম্পাৰেচাৰ' চাবলৈ! এনে অত্যাচাৰত 'টেম্পাৰেচাৰ' সুঠাকৈ থাকিব পাৰিবনে? মৰা মানুহৰো 'টেম্পাৰেচাৰ' চৰিব। এই ৰাতি নো বাৰু কিয় আহিব লাগে?'

—'হয়, পিছে নাহিলে হব জানো?'

তেওঁ কথা কৈ কৈ যথাৰীতি 'টেম্পাৰেচাৰ' ললে। টোপনি হৈছিল নে সুধিলে। নিৰুদ্বেগ কণ্ঠৰ তেওঁৰ সেই ধীৰ স্থিৰ কথাবোৰ। মই উত্তৰ দি কলোঁ।—'তাৰ পিছত এতিয়া কি কৰিবা?'

—'কৰিম নহয় যি কৰিব লাগে। ভয় খাইছে নেকি?'

—'অৱশ্যে ইমান ৰাতি চিন্তাৰৰ অকলশৰীয়া আক্ৰমন! ভয় অলপ নলগা নহয়।'

—'কিয়? চিন্তাৰে খায় নেকি?'

—'নাখালেও তেওঁ তেওঁৰ ইচ্ছামতে কাম কৰে।'

—'আপোনাৰ ইচ্ছা নাথাকিলে জানো পাৰে? ইচ্ছা নহলে, আপুনি তেওঁ কোনো মতে নকৰিব।'

—'নকৰি নো কি কৰিম? মোৰ মতেও জানো একো কৰিব নোৱাৰে?'

—'হয় আপোনাৰ মতেও নোৱাৰে। নোৱাৰে কাৰণে, চিন্তাৰৰ মতেই চলিবলৈ হয়—কি বেয়া হব?'

এই বুলি তেওঁ মোক আৰু শাকিনীৰ দৰে ... চকু পোনকৈ ৰাখিলে। হাতখন ঠিককৈ দিলে আৰু—এনেকৈ ৰাখিব ... হওকচোন, মই আহোঁ'—বুলি ওলাই গল। ... চিন্তিতকৈ উঠিলু। বিছনাৰ ওপৰত এইখন আকৌ কি কচৰৎ কৰিব লগীয়াত পৰিলোঁ ... অগত্যা

তেওঁ মোৰ মতেই পৰি থাকিলো। ভাবিলোঁ। কিবা অত্যাশ্চৰ্যৰ বাবে সাজু কৰিছে নেকি ?

এইবাৰ কেইডালমান সৰু সৰু ৰবৰৰ নলী আৰু সৰু সৰু চিঙা কেই-টামান হাতত লৈ টিঙাৰ আকৌ সোমাই আহিল। কলেহি—'জুচ' বব। এইবাৰহে কেনে লাগে গম পাব।'

মই কলোঁ।—'কিহৰ 'জুচ' ? কেনেকৈ লব ? এইবোৰ জনো কিয় ?'

—'দেখিব মহয়। কিহৰ 'জুচ' বুজিছে নে নাই ? বুজিছেনে ?

—'জানো, নাজানো দেওহে। তুমি দেখোন যাদুকৰীৰ দৰেহে আৰম্ভ কৰিলাহি।'

—'হয় যাদু দেখিব মহয়।' এইবুলি তেওঁ কলে—'এই নলীডাল নাকৰ বিন্ধাৰে মই ঠেলি দিম। ই সোমাই গৈ থাকিব। তাৰ পিছত ইটো গৈ ডিঙিৰ নেলু পালে আপুনি ঢোক গিলিব। ই তেতিয়া জঠৰ গৈ পাব। পিছত পাকস্থলি পাবগৈ।

মোৰ দেখিয়ে ভয় লাগিল। নলীডাল দীঘলে ডুকুটমান হব। গা কঁপি উঠিল। তেওঁ কলে—'ভয় নাখাব। মতা মানুহে কবৰাত ভয় কৰে নেকি ? —এই বুলি তেওঁ মোৰ নাকেৰে নলী হেচি দিবলৈ ধৰিলে। মোৰ অসহ্য লাগিছিল—কিন্তু সহি আছিলোঁ। তেনেকৈ বহুত কষ্টৰ মূৰত নাৰ্চে নলী ডালৰ কিমান ভাগ সুমাব লাগে সুমালে। তাৰ পিছত বন্ধ কৰি চাই দেখে পাকস্থলিৰ পৰা তেওঁ নবলৈ বিচৰা 'জুচ' নাহে। তেতিয়া তেওঁ কলে—'কথা কৰিব তাৰ।' 'আই এম ছৰি।' নলীডালে কাম নকৰে। আকৌ দ্বিতীয় এডাল নলীৰে চোৱা যাওক। দুখ পাইছে নহয়'—এই বুলি তেওঁ নাকৰ পৰা নলীডাল উলিয়াই আনিলে। বং আৰু দ্বিতীয় নাৰ্চক এডাল আনি দিবলৈ কৈ গৈছিল। কলোঁ—'তুমি আগতে নলীডাল পৰীক্ষা কৰা নাছিলা কিয় ?'

—তেওঁ কলে—'বহুত নলী ঠিক আছিল। কিবা কাৰণত তাৰ মুখটো বন্ধ হৈ আছে।'

মই একো নকৈ নাৰ্চলৈ এবাৰ কোনো চকু দি চাই থাকিলোঁ। নাৰ্চে হাঁহি কলে—'খং উঠিছে ? এটা মাৰি দিব নেকি ?' ... বেই। এইবাৰ সোনকালে হব। আৰু সোনকালে নিচিন্ত হব।' মই

কলোঁ—'সেইটো বাৰু মোক বুজাব নালাগে। শিছে বুজাইছে বুজে। তোমাৰ এনেকৈ সোমোৱাৰ অভিজ্ঞতা আছে জানো?'

তেওঁ কেৱল হাঁহিলে আৰু তৎক্ষণাৎ মোক গৰা মাৰি ধৰাৰ দৰে ধৰি লৈ অক্তাল নলী মোৰ অন্তটো নাকৰ বিন্ধাৰে ভৰাই দি কলে—'এই-বাৰ সহজ হব।'

মই কলোঁ—'এইবাৰ নহলে কিন্তু বাদ দিবা।'

এইবাৰ কিছু পৰৰ মূৰত 'ভুচ' পালে। নাৰ্চে প্ৰত্যেক আধাঘণ্টাৰ মূৰে মূৰে আহি নলীৰে 'ভুচ' লৈ একোটা সৰু বটলত বাখিবলৈ ধৰিলে। গলাৰে বিদ্ধি খোৱা ভুবৰ কলগছ পানীত ওপঙি থকাৰ দৰে নাকৰ বিন্ধাত নলী ভৰাই লৈ মই বিছনাত চিত্ ভেলেঙা দি পৰি আছিলোঁ। নাৰ্চে কিবা সুধিলেও তেতিয়া কথা কবলৈ মন নগৈছিল। 'ও' 'হয়' কৈ উত্তৰ দি কথা সাৰৰি থৈছিলোঁ।

ৰাতি প্ৰায় পুৱাল। ঘৰ এন্ধাৰ, বাজ পোহৰ হ'ল। নাৰ্চে দুৱাৰ-খিৰিকী জপাই দিলে, সম্ভৱ আনে আহি কিবা আমনি কৰে বুলি। তাৰ পিছত মোক কলে—'মিষ্টাৰ শইকীয়া! আৰু আধা ঘণ্টাৰ মূৰত পৰীক্ষা শেষ হব। আপুনি ইচ্ছা কৰে যদি এতিয়া বাহিৰলৈ গৈ ফুৰিচাকি আহিব পাৰে। এতিয়া ঘূৰি ফুৰিলেও হানি নাই।'

মোৰ মনে মনে দুৰ্জ্জয় খং উঠিল। নাকত দুফুট দীঘল নলী ভৰাই দি কৈছে, মই বাহিৰত ঘূৰি ফুৰিলেও ফুৰিব পাৰোঁ। বাঃ কি অনুগ্ৰহ! [illegible] মোৰ নাকত সোমাই কৰিছে ভাবি সুধিলোঁ—'ভনীটি, তুমি কেতিয়াবা [illegible] নলী তোমাৰ নাকত কাৰবাক ভৰাব দিছিলানে?'

তেওঁ কলে—'নাই। প্ৰয়োজন হোৱা নাই।'

—'তেন্তে তুমি মানৱৰ দুখ কি বুজিবা? আচলতে বেনা, দুখ [illegible] নাপায়, কিন্তু কিবা অস্বস্তিকৰ লাগে।'

[illegible] পিছত বৰালময়ত [illegible] লৈ নলীডাল তেওঁ উলিয়াই দি কলে—'এতিয়া চাওক আপোনাৰ আকৌ লও আকৌ লও লাগিছেনে?'

—'কিবা [illegible] [illegible]'

—'[illegible]'

—'[illegible] [illegible] বুলিছিলা [illegible]'

উত্তৰত তেওঁ কলে—'জীৱনত অভিজ্ঞতাই সকলো নহয়, ভাৰ! অভিজ্ঞতা বাদ দিও চলা যায়। মানুহে দেখি বা লেখিও জানো অনেক কথা নিশিকে? অৰণ্যত জন্তুৰে [illegible] ঠেকি বা বিপদত পৰিও অনেক কথা শিকোঁ, নহয় জানো?'

তেনেকৈ কৈ নাৰ্চজনী গুলাই গ'ল। ঘটনা সিমানেই, কিন্তু তেওঁৰ কথা কিআষাৰ হলে আজিও মোৰ কাণত যেন বৈ বৈ বাজি আছে। তুমিও ভাবি চাবাচোন! ইতি।

চিঠি পঢ়ি সচাঁকৈ ময়ো ভেতিয়াবা ভাবোঁ—অভিজ্ঞতা আহৰণ কাৰণে জীৱনৰ সকলো ক্ষেত্ৰতে জানো অপৰিহাৰ্য্য? বন্ধুবৰ শইকীয়াদেৱৰ এই চিঠিখন পঢ়ি গৈ থাকোঁতে পোনতে মোৰ ধাৰণা হৈছিল ঘটনাটো নিশ্চয় কিবা এক 'ৰোমান্স'ত শেষ হবগৈ। পিছে এতিয়াহে বুজিছোঁ মানুহৰ বাস্তৱটো গল্পৰ দৰে হলেও সম্পূৰ্ণৰূপে গল্প নহয়। সেয়েহে তেওঁৰ চিঠিখন প্ৰকাশৰ যোগ্য বুলি ভাবিলোঁ।

— • —

বৰলোকৰ ঘৰুৱা জীৱন

ঘৰ শব্দই সাধাৰণতে নাৰী বা তিৰোতাৰ কথা মনলৈ আনে। ঘৰ কৰা, ঘৰ পতা, ঘৰ-সংসাৰ কৰা আদি শব্দই সংসাৰ কৰা বা সংসাৰ পতাকে বুজায়। ল'ৰাটোৰ এতিয়াও ঘৰ-বাৰী হোৱা নাই, তাৰ ঘৰখন পাতিবলৈ আয়োজন কৰা হৈছে বুলিলে তাক বিয়া কৰাবলৈ যত্ন কৰা বুজা যায়। ঘৈণীয়েহে ঘৰ বা সংস্কৃতত 'গৃহিণীং গৃহমুচ্যতে' বোলা কথা এষাৰো আছে। এনেবোৰ কথাৰ দ্বাৰা ইয়াকে কোৱা যায় যে ঘৰ মানে তিৰোতা। কাৰণ সংসাৰ যাত্ৰাৰ আহিলাই হ'ল তিৰোতা। তিৰোতাৰ আইন-সঙ্গত সংশ্ৰৱত যি জীৱন আৰম্ভ কৰা হয়, তাকেই বৈবাহিক জীৱন বোলে। সাধাৰণ কথাত ইয়াক ঘৰুৱা জীৱনো বোলা যায়।

ঘৰৰ বাহিৰত প্ৰত্যেকজন পুৰুষে সংসাৰ ভাওনাত এটা নহয় এটা ভাও লৈ জীৱিকা নিৰ্ব্বাহ কৰে। কোনোবা সভ্য-ভব্য ডাক্তৰ-কবিৰাজ, কোনোবা উকীল-মুক্তিয়াৰ-দোকানী, কোনোবা মন্ত্ৰীমনচুপ-সচিব-কেৰাণী আৰু কিছুমান বা দাৰোগা-চিপাহী-চকীদাৰ-চপ্ৰাশী ইত্যাদি। পিছে, যিয়ে যি নহওক, ঘৰুৱা জীৱনত প্ৰত্যেকে কিন্তু এটা ভাও লয়, যি সকলোৰে কাৰণে একে। সেয়ে হৈছে গৃহস্থ বা ঘৰৰ মানুহজন। জগতত আন কাৰো ওপৰত প্ৰভুত্ব নাথাকিলেও প্ৰত্যেক গৃহস্থৰে কিন্তু নিজৰ পত্নীৰ ওপৰত প্ৰভুত্ব থাকে। সেয়ে নহলে ঘৰখন ঘৰ হৈ নাথাকে। সেয়েহে নিচেই নিঃকিন টোকোনা-জনেও গৃহস্থ হৈ মনে মনে ভাবে—'মোক নাজানিবা কম। ঘৈণীৰ ওপৰত ৰজা।' এই ঘৰখন সকলোৰে কাৰণে হৈ পৰে জীৱনৰ শান্তিময় আশ্ৰয়স্থল। আপদে-বিপদে সকলো সময়তে মানুহে সেই বাবেই বাহিৰৰপৰা চাপনি মেলে নিজৰ ঘৰখনলৈ। আনকি চৰাই-চৰিকটিবোৰেও বিপদৰ আগজাননী দেখিলে নিজৰ নিজৰ বাহচিৰিলৈ আশ্ৰয় লয়গৈ।

পিছে কথা হৈছে সকলো লোকে জানো গৃহস্থালিখনৰ ওপৰত উচিত ৰজা হ'ব পাৰে? কিয়নো বিনা প্ৰীতিৰে ঘৰৰ সকলোৰে সহযোগক

সংসাৰ কৰি যায়, তেওঁলোকৰ বিষয়ে কব নোৱাৰি 'একো নাই'; কিন্তু কিছু সকলে বাহিৰত বিশ্বব্ৰেণ্য যা সকলৰ পূজিত হৈও নিজৰ ঘৰখনত নানা ৰূপে কাল কটাবলগীয়া হৈছিল, তেওঁলোকৰ বিষয়ে ভাবিলেহে আচৰিত হ'ব লাগে। সৌভাগ্যক্ৰমে তেনে উদাহৰণ প্ৰাচ্যৰ ইতিহাসত বিৰল। বিবাহ বিচ্ছেদৰ স্বাধীনতা প্ৰাচ্য জগতত নাই বাবেই বোধহয় ঘৰুৱা অশান্তিৰ উদাহৰণো তাত তাকৰ। ইয়াত পাশ্চাত্যৰ কেইজনমান বৰলোকৰ পাৰিবাৰিক জীৱনৰ গোটাচেৰেক ঘটনা মাত্ৰ বৰ্ণনা কৰা হ'ব।"

(২)

গ্ৰীচ দেশৰ দাৰ্শনিক পণ্ডিত চক্ৰেটিছৰ নাম সকলোৱে শুনিছে। পৃথিবীৰ মহাজ্ঞানী লোকসকলৰ ভিতৰত তেওঁ এজনা। কাৰো কাৰো মতে তেওঁৰ যুগত তেওঁৰ সমান ভাৱৰ দাৰ্শনিক পণ্ডিত গোটেই পৃথিৱীতে দ্বিতীয় এজন নাছিল। নিজৰ মনৰ জগৎখন আৰু বহিৰ্জগতৰ কাৰ্য্যাৱলীৰ সম্বন্ধ আৰু ৰহস্য বিশ্লেষণত তেওঁ সততে মগ্ন আছিল।

চক্ৰেটিছৰ পত্নীৰ নাম আছিল জেন্থিপ। ভাগ্যক্ৰমে জেন্থিপা আছিল বৰ দন্দুৰী তিৰোতা; দেখাদেখিকৈয়ে তেওঁৰ পতি চক্ৰেটিছৰ সম্পূৰ্ণ বিপৰীত প্ৰকৃতিৰ। চক্ৰেটিছে নীৰৱে চিন্তা কৰি ভাল পায়; জেন্থিপে ভাল পায়— দন্দ-খৰিয়াল আৰু হাই-হাজা কৰি। চক্ৰেটিছে যেতিয়া কিবা বিষয়ে চিন্তা কৰি নীৰৱে বহি থাকে, জেন্থিপে তেতিয়া আহি কোঢাল কৰি আজি-তুলি পাৰি তেওঁক বহি থকা ঠাইৰপৰা খেদি দিয়ে। জেন্থিপৰ মানত চক্ৰেটিছ আছিল জগতৰ নিকৰ্মা, অকৰ্ম্মণ্য, খিতিত্ৰ বোধ এটা। জ্ঞানী চক্ৰেটিছে কিন্তু গৈণীয়েকৰ কথাৰ কোনো প্ৰকাৰ প্ৰতিবাদ নকৰি হয় যদি তেনেকৈয়ে শান্তি হওক বুলি ভাবি তেওঁৰে প্ৰাধান্য মানি চলিছিল। কিন্তু, হাঁহি খোজ কাঢ়িলে জানো যেৰ পাতৰি যাব? কথাতে আছে [illegible] তাৰৰ মাউলে। আইল পোৱা কুকুৰে ভিতিইনকে জঁপিয়াই। চক্ৰেটিছে শান্ত চুপ কৰি সকলো সহি থকা দেখি জেন্থিপৰো দুৰ্ব্যৱহাৰৰ জোৰ ক্ৰমে বাঢ়িবলৈ ধৰিছিল।

এদিন চক্ৰেটিছে ঘৰৰ খোটালি এটাত বহি নিৰলে কিবা বিষয়ে চিন্তা কৰি আছিল। এনে সময়ত কিবা কাৰণত জেন্থিপে [illegible] জেন্থিপাৰ খং উঠিল। গোমতে তেওঁ [illegible] চিঞৰ-বাখৰ কৰি [illegible] [illegible] [illegible] তেওঁ [illegible] [illegible] [illegible]

কথাত তৰ্ক কৰিব আৰু তেতিয়া তেওঁ গিৰিয়েকক আৰু তালৈকে এজাউৰি দিব; কিন্তু চক্ৰেটিছে কেতিয়াও গালি-শপনিবোৰ ভ্ৰূক্ষেপ নকৰিলে। তেওঁ নিজৰ কামত একান্তমনোযোগভাৱে লাগিয়ে থাকিল। তাতে খঙত ঘৃতাগ্নি হৈ পত্নীজনীয়ে খাদ্য কেতিয়াবা গৰত এচৰীয়া টেঁচা পানী আনি চক্ৰেটিছৰ মূৰত লোপাতকৈ ঢালি দিলে। চক্ৰেটিছে তেতিয়া অন্য একো নকৰি ইয়াকে মাথোন কলে—'এৰা, হবলৈহে তো; ইমান গাজনিৰ অন্তত ধাৰাসাৰ বৰষুণ হোৱাটো একো অস্বাভাৱিক নহয়।'

কোনে জানে হয়তো পত্নীৰ এনেকুৱা ব্যৱহাৰে দাৰ্শনিক পণ্ডিত চক্ৰেটিছৰ দাৰ্শনিক চিন্তাৰ সোঁত আৰু কোবাল কৰিহে তুলিছিল! সি যি নহওক, এয়ে আছিল বিশ্ব বিশ্ৰুত পণ্ডিত চক্ৰেটিছৰ ঘৰুৱা জীৱনৰ এটি চিত্ৰ।

(৩)

ৰুছিয়াৰ শান্তি-দূত কাউণ্ট টলষ্টয় আছিল মহামানৱ মহাত্মা গান্ধীৰ ধৰ্ম-গুৰু স্বৰূপ। গান্ধীজী টলষ্টয়ৰ লেখনীৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল আৰু কৰ্ম-জীৱনত টলষ্টয়ৰ ভাৱধাৰা অনুসৰণ কৰি চলিবলৈ যত্ন কৰিছিল। টলষ্টয়ৰ ঘৰুৱা জীৱনৰ কথা বহুতে জানে।

টলষ্টয়ৰ পত্নী আছিল এগৰাকী বাংচালী, লেখনীয়াৰ তিৰোতা। বিবাহিত জীৱনৰ আদি ছোৱাত দুয়োৰো মাজত বৰ মিল আছিল। দুয়োকো দুয়ো প্ৰত্যেকৰ কাৰণেও লেখিছিল। দুয়ো একেলগে খোৱা-বোৱা কৰে, ফুৰা-চকা কৰে, নাচ-গান চায় আৰু আনকি দুয়ো কেতিয়াবা আঁঠু কাঢি ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰি কয়—'দয়াময় প্ৰভু, আমাৰ এনে মিলন যেন স্থায়ী হয়; মৃত্যুৰ অন্তত যদি কেতিয়াবা পুনৰ্জন্ম পাওঁ তেতিয়াও যেন আমাৰ ছাৰাএৰি নহয়।'

কিন্তু বিধাতাৰ ইচ্ছাত তেওঁলোকৰ সেই মিলন দীৰ্ঘকাল স্থায়ী হৈ নুঠিল। টলষ্টয়ৰ পত্নী আছিল স্বভাৱতে এগৰাকী চঞ্চলা নীচ মনোবৃত্তি-সম্পন্ন তিৰোতা। [illegible] টলষ্টয়ক চিন্তাত মগ্ন বা অধ্যয়নত ৰত দেখা তেওঁ [illegible] কৰিব নোৱাৰিছিল। তেওঁ ক্ৰমে টলষ্টয়ৰ প্ৰতি এনে ঈৰ্ষা পৰায়ণ হ'ল যে টলষ্টয়ৰ চলন-ফুৰণ, গতিবিধি আদিতো তেওঁ সন্দেহ কৰিবলৈ ধৰিলে। কেতিয়াবা টলষ্টয় [illegible] কাৰোবাত হাবি-বননি বা [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible]

গাঁৱলীয়া ছোৱালীৰ বেশত টলষ্টয়ৰ পিছে পিছে ফুৰা তেওঁৰ এটা নিত্য-নৈমিত্তিক কাম হৈ পৰিছিল। বিবিয়েক টলষ্টয়ৰ লগত তেওঁ নিজৰ লৰা-ছোৱালীকো দুৰ্ব্যৱহাৰ কৰিছিল। কেতিয়াবা তেওঁ টলষ্টয়ৰ ওঁচৰতে তাঁৰ নিজৰ লৰা-ছোৱালীবোৰৰ আগতে আত্মহত্যা কৰিম বুলি ভয় খুৱাইছিল। কথাই কথাই মৰোঁ বুলি ভয় দেখুৱাটো তেওঁৰ এটা ব্যাধিৰ দৰে হৈ পৰিছিল। মাথো টলষ্টয়ৰ শান্ত প্ৰকৃতি আৰু কৰ্তব্যনিষ্ঠাই বৈণীয়েকৰ সেই ব্যাধি আৰু বেছি চৰা কৰি তুলিছিল।

পত্নীৰ কঠোৰ ব্যৱহাৰত টলষ্টয় শেষত অতিষ্ঠ হৈ উঠিল। তেওঁ অনাগত ভৱিষ্যতৰ কাৰণে নিজৰ ডায়েৰিত পত্নীৰ দুৰ্ব্যৱহাৰৰ কথা লিখিবলৈ ধৰিলে। তেওঁৰ পত্নীও কম নাছিল। তেৱোঁ আছিল শিক্ষিতা ৰমণী। তেৱোঁ পতিক বোধ দি পোনতে ডায়েৰী লিখিবলৈ ধৰিলে; পিছত তাতো ক্ষান্ত নাথাকি তেওঁ 'মোৰ দোষ' নাম দি পতিৰ ওপৰত দোষাৰোপ কৰি উপন্যাস এখনকে লিখি পেলাইছিল।

টলষ্টয়ে ভাবিলে, জানোচা তেওঁৰ ধন-সম্পত্তি সোপাকে পালেই তেওঁৰ পত্নী সন্তুষ্ট হয়! কাৰণ ধন-সম্পত্তি, ঐশ্বৰ্য্য-বিভূতিৰ প্ৰতি যে তেওঁৰ পত্নীৰ অনুৰাগ অতিশয় প্ৰবল আছিল, সেই কথা তেওঁ ভালকৈয়ে উপলব্ধি কৰিছিল। টলষ্টয়ে সেই উদ্দেশ্যে নিজৰ সকলো সম্পত্তি পত্নী-পুত্ৰকন্যাৰ নামত উইল কৰি দিলে; কিন্তু সাপক গাখীৰ খুৱালে জানো তাৰ বিষ নাইকিয়া হব?

ঘৰুৱা অশান্তিবোৰে দিনেদিনে টলষ্টয়ে অত্যাহুতি লগালে। অৱশেষত পত্নীৰ অবিৰাম খেচখেচনি আৰু তিতা কথাত অতি বিৰক্ত হৈ তেওঁ এদিন নিজৰ ঘৰ এৰি গুচি আহিল ওলাই। পত্নীৰ কুটিলতাবোৰ পৰিহৰিবলৈ চিৰ-কালৰ বাবে আঁতৰি যোৱাই আছিল তেওঁৰ উদ্দেশ্য। শীতকালৰ হিমপৰা নিশাৰ কঁপনি দিং কঁপোৱা জাৰেও তেওঁক থিৰত ৰখাব পৰা নাছিল। তেওঁ ঠা ঠৈ বেল ষ্টেচন এটাৰ মুকলি ঠাই এখোলাত জাৰে-হিমে জঠৰ হৈ বেমাৰ হৈ পৰিল। তেওঁৰ শেষৰ কাগজ এটুকুৰাত লিখি থাকিলে— মৃত্যুৰ পিছতো যেন তেওঁৰ শৱটো তেওঁৰ পত্নীক চাবলৈ দিয়া নহয়। এই দৰেই বিশ্বৰ শান্তি-দূত লোক-বৰেণ্য মহাপুৰুষ এজনে পত্নীৰ দুৰ্ব্যৱহাৰত [illegible]

(৪)

ইংৰাজী সাহিত্যিক এডিচনৰ আকৌ বিয়া হৈছিল অলপ আচৰিত ধৰণে। তেওঁ এসময়ত এজন ধনী লোকৰ ঘৰত গৃহশিক্ষকতা কৰিছিল। ছাত্ৰৰ মাকে তেওঁক বৰ যতন কৰিছিল। সেই ঘৰতে শেষত এনে ৰূপ ধাৰণ কৰিলে যে ই ক্ৰমে সেই মাধৱীলতাই পুলি আমগছক মেৰিয়াই সৈ ঘৰমেৰে গিলি পেলোৱাৰ দৰে কৰিলে। সেই বৃদ্ধা ৰমণীয়ে যুৱক এডিচনক নাৰীত্বপূৰ্ণ প্ৰেমৰ আস্বাদ দি পাকেপ্ৰকাৰে বৈবাহিক সূত্ৰত আবদ্ধ কৰি ললে। দুয়োৰো বিয়া হ'ল সঁচা, কিন্তু বৃদ্ধাই নিজৰ ঐশ্বৰ্য্য-সম্পত্তিৰ দম্ভ এৰিব নোৱাৰিলে। তেওঁ দুখীয়া সাহিত্যিক যুৱক এডিচনক সকলো সময়তে নিজৰ ঘৰৰ হাত-ধৰা লগুৱা বা ভৃত্যৰ দৰে ব্যৱহাৰ কৰিবলৈ ধৰিলে। বৃদ্ধা পত্নীৰ সাহিত্যিক এডিচনৰ প্ৰতি এনে ব্যৱহাৰ দেখি সেই সময়ৰ অন্যতম পণ্ডিত ডঃ জনচনে ব্যঙ্গ কৰি মন্তব্য দিছিল—বেচেৰা এডিচনে যেন তুৰস্কৰ ৰাজকুমাৰীৰহে পাণিগ্ৰহণ কৰিলে। তুৰস্কৰ ৰাজকুমাৰীৰ বাপেকে বিয়াৰ দিনা জোঁৱায়েকক হাতত ধৰি নি জীয়েকৰ হাতত গতাই দি কয়—'বাছা, তোক মই এই নিকিনা গোলামটি দিলোঁ। তই ইয়াক পতি কৰিবি দেই।'

(৫)

কবি মিল্টন আছিল আকৌ বৰ সাত্ত্বিক আৰু পবিত্ৰ ধৰণৰ লোক। আমোদ-আনন্দ তেওঁ সমূলি ভাল নাপাইছিল। পিছে বং-ৰেমালিৰপৰা আঁতৰত থকা কঠোৰ প্ৰকৃতিৰ ঠৰঙা লোক নাৰীৰ প্ৰিয়ভাজন হোৱা টান। মিল্টনেও ৰূপ, যৌৱন আৰু বিদ্যাবুদ্ধিৰ গৰাকী হোৱা সত্বেও পত্নীৰ প্ৰিয়পাত্ৰ হব নোৱাৰিলে। এবাৰ নহয়, দুবাৰ নহয়, তিনিবাৰ বিয়া কৰিও তেওঁ লোণৰ সংসাৰ এখন গঢ়িব নোৱাৰিলে। একে একে আটাই কেইগৰাকী পত্নীয়ে তেওঁক পৰিহাৰ কৰিলে। এনেবোৰ কাৰণতে মোৰবোধ পণ্ডিত আৰু জনসাধাৰণৰ দৰে অনেক আদৰ্শবাদী পুৰুষে সংসাৰত একেবাৰেই 'প্ৰবেশ' কৰা নাছিল। নেতাজী সুভাষ বসুৰ বিয়াও নিশ্চয় অন্তৰৰ আকৰ্ষিক সংঘাতহে।

(৬)

ফিট্‌জাৰেল্ড জীৱনত আকৌ আৰু এজ ধৰণৰ ঘটনা এটা ঘটিছিল। ওমৰ খৈয়ামৰ ইংৰাজী অনুবাদক হিচাপে ফিট্‌জাৰেল্ডৰ সাহিত্য জগতত

চিনাকি লোক। কিট্‌জ্যেৰেল্ডে বিয়া কৰাইছিল বাৰ্কি-বিদ্যাৰি এগৰাকী অপৰূপ লাৱণ্যময়ী ললনাক। বিয়াৰ বয়সত কিট্‌জ্যেৰেল্ড নিজেও আছিল এজন চঞ্চল ৰূপহ ডেকা। ৰূপৰ পূজাৰী কিট্‌জ্যেৰেল্ড কিন্তু বৈবাহিক জীৱনত হতাশ হব লগীয়া হ'ল। সেন্দুৰীয়া আমত পোক থকাৰ দৰে, তেওঁৰ ৰূপহী পত্নীৰ অসামান্য ৰূপৰ তলতো ঘুণৰ কিছা আছিল। ক্ৰমাৎ সোনকালে দুয়োকো দুয়ো সন্দেহ কৰিবলৈ ধৰিলে। সন্দেহৰ মাজেদি অবিশ্বাস, ঈৰ্ষা আৰু ঘৃণাৰ ভাৱৰ ক্ৰমে ঘনীভূত হৈ আহিল। শেষত বিৰক্তি আৰু বিতৃষ্ণাত দুয়ো আপোনা আপুনি দুয়োজোনৰ পৰা আঁতৰি থাকিবলৈ বাধ্য হ'ল। দুয়োৰো বিবাহ-বিচ্ছেদ ঘটিল। আচৰিত কথা এই যে দুয়ো শেষবাৰৰ কাৰণে দুয়োকে মৰমেৰে আলিঙ্গন কৰি সহভোজন কৰিছিল আৰু তাৰ পিছত নিজ অভিৰুচিমতে দুয়ো পৃথক জীৱন যাপন কৰিবলৈ মান্তি হৈছিল।

(৭)

এজনা উঠি অহা অখ্যাত নতুন শিল্পীয়ে এদিন বিয়া কৰাই উঠি তেওঁৰ গুৰু চাৰ জচুৱা ৰিণল্ডক দেখা কৰি কৈছিল—'মহাশয়, মোৰ বিয়া হৈ গ'ল। পত্নীও মোৰ দৰেই শিল্প-কলাৰ উপাসিকা। আমাৰ দুয়োৰো ভাল মন মিলিছে। মই এতিয়া ইটালিলৈ গৈ শিল্প-কলাত মনোনিবেশ কৰিব খোজোঁ। চাৰ জচুৱা ৰিণল্ডে শোনেই কলে—'বিয়া কৰালা! হৈছে তেনেহলে! তোমাৰ শিল্পী হোৱাটো হৈছে আৰু! বাদ দিয়া!, তুমি নাজানা হবলা—বাস্তৱৰ কঠোৰ পৰশত আদৰ্শৰ ঠুনুকা লাহতী পাখি, দুষ্ট লৰাৰ হাতত পৰিলাৰ পাখি ভগাৰ দৰে ভাগি চুৰমাৰ হয়!'

(৮)

ইংলণ্ডৰ বিখ্যাত ধৰ্ম্মযাজক বিছপ কুপাৰে কঠোৰ পৰিশ্ৰম কৰি জীৱনত এটা মাত্ৰ ডাঙৰ কাম সম্পন্ন কৰিবলৈ সংকল্প কৰিছিল। সেই উদ্দেশ্যে তেওঁ এখন অভিধান ৰচনাৰ কাম হাতত লৈছিল। অনেক বছৰৰ দেহপাত কৰি কৰা অশেষ পৰিশ্ৰমৰ ফলত অভিধানখন শেষ হৈছিল। পিছে তেওঁৰ পত্নী আছিল লিখাপঢ়াৰ প্ৰতি ধাউতি নথকা এগৰাকী আকৰী তিৰোতা। বিছপে লিখা-পঢ়া কৰাটো তেওঁ অলপো ভাল নাপাইছিল। এদিনাখন কিবা কথাত দুয়োৰো তৰ্ক-বিতৰ্ক হওঁতে তেওঁ এই বিবেকৰ প্ৰবৃত্ত

প্ৰতিশোধ লʼবৰ কাৰণে গিৰিয়েকৰ পঢ়া কুঠৰীত সোমাই অভিধানখন তুলি ছাই কৰি পেলালে। বিছপে আৰু দ্বিতীয়বাৰ সেই কাম হাতত লব নোৱাৰিলে। শোক আৰু পৰিতাপত তেওঁৰ জীৱন চমু হʼল। কোনো জাগ্ৰে খং দমন কৰিব নোৱাৰা হʼলে হয়তো সেইদিনাই দুয়োৰো জীৱনৰ শেষ দিন হʼলহেঁতেন!

(১)

জন ৱেলেছলিয়ে আকৌ আধছীয়া বয়সতহে সংসাৰত প্ৰৱেশ কৰিছিল। তেওঁৰ পত্নী আছিল এগৰাকী মন্দমুখী বিধৱা, চাৰিটা লʼৰা-ছোৱালীৰ মাক। তাইৰ অৱশ্যে নিজৰ সম্পত্তি আছিল প্ৰচুৰ। ওৱেলেছলিয়ে বিয়া কৰাৰ পিছত এই বিধবাগৰাকীয়ে ভাবিলে—তেওঁৰ দ্বিতীয় স্বামী ওৱেলেছলি নিশ্চয় দুশ্চৰিত্ৰ লোক হব। নহলে জানো তেওঁ ইমান বয়সলৈ বিয়া নকৰাকৈ থাকে? তাকে ভাবি তেওঁ সদায় ওৱেলেছলি ফুৰি আহিলে কোনোবা প্ৰেয়সীৰ গুপ্তপ্ৰণয়ৰ প্ৰেম-পত্ৰ পায় বুলি সৰালবিকৈ তেওঁৰ জেপ খোচৰে। সদায় কিন্তু তেওঁ হতাশ হয়। এদিন তাতো সন্তুষ্ট নহৈ তেওঁ গিৰিয়েকক গালি-শপনি পাৰি কাকো নোসোধাকৈ ঘৰৰপৰা সা-সম্পত্তি কিছু লৈ নিজৰ পূৰ্ব্বৰ ঘৰলৈ গুচি গʼল আৰু তাৰপৰা দিনদিয়েকৰ অন্তত বন্ধু বান্ধৱৰ জৰিয়তে খবৰ পঠিয়ালে যে গিৰিয়েকে গৈ তেওঁক পুনঃ আদৰ-সাদৰ কৰি সসন্মানে আগবঢ়াই আনিলেহে তেওঁ উভতি আহিবলৈ ৰাজি হব। ওৱেলেছলিয়ে উত্তৰ কি দিলে জানে? তেওঁ কৈ পঠিয়ালে—'মই তেওঁক সসন্মানে পঠোৱাও নাছিলোঁ—এতিয়া সসন্মানে আনিবলৈও যাব নোৱাৰোঁ। তেওঁ যদি মোৰ লগত নাথাকি সুখী হয়, তেনেহলে ময়ো তেওঁতকৈ কম সুখী নহওঁ।' ফলত কোন হাৰিল, কোন জিকিল তাৰ সবিশেষ খবৰ পোৱা নগʼল।

পাশ্চাত্যৰ মুকলি বতাহত বাঢ়ি অহা নাৰী-চৰিত্ৰই সময়ত কেনে একোটা ৰূপ ধাৰণ কৰিছিল ওপৰৰ ঘটনাবোৰে তাৰেই একোটি সাক্ষ্য দাঙি ধৰে। সৰ্ব্বসাধাৰণৰ ক্ষেত্ৰত এইবোৰ দৃষ্টান্ত সৰ্বতোভাৱে প্ৰযোজ্য নহবও পাৰে। আৰু প্ৰকৃতপক্ষে ৰেডিয়াম আবিষ্কাৰ কৰা পোলেণ্ডৰ বিখ্যাত মহিলা মেৰী কুৰী, ফৰাচী বিপ্লৱৰ প্ৰধান নিৰ্ভৰকণ্ঠা আদি লোকসকলৰ মহৎ জীৱনৰ কাহিনী

পঢ়িলে পতি-পত্নীৰ আদৰ্শ মিলনৰ উদাহৰণো পোৱা যায়। মেৰী কুৰীয়ে নিজৰ জীৱন-চৰিতত কৈ গৈছে যে পতিৰ নেবানেপেৰা সাহায্য অবিহনে তেওঁৰ কাৰণে ৰেডিয়াম আৱিষ্কাৰৰ বাবে নোবেল প্ৰাইজ লাভ কৰা সপোনৰ কাম হ'লহেঁতেন। পতি-পত্নী দুয়ো একে ঠাইতে অধ্যাপনা কৰিছিল।

ৰুচোৰ আত্মপ্ৰকাশতো এই কথা স্বীকাৰ কৰি গৈছে যে তেওঁৰ পত্নী যদিও আপঢ়ু, লিখাপঢ়া নজনা ভোলা বিধৰ তিৰোতা আছিল—তথাপি তেওঁ যেন ৰুচোক সদায় কৰ্তব্যত আগ বঢ়াই দিয়া জীৱন প্ৰেৰণা ধৰণে কাম কৰিছিল। দুয়োৰো দোষ দুয়ো ক্ষমা কৰি আকৌ মিলিব জানিছিল।



প্ৰণয়ৰ শৃঙ্খলা

অভিজ্ঞসকলে কয় প্ৰেমৰ সিংহাসনখন হেনো বৰ ওখত থাকে আৰু তালৈ যোৱা পথটোও পিচল আৰু কাঁইটেৰে ভৰা। গতিকে সেই সিংহাসনত আৰোহণ কৰিবলৈ অভিলাষ কৰা পথিকসকল সাৱধান হৈ ধীৰে-সুস্থিৰে আগুৱান হব লাগে। প্ৰথম দৰ্শনৰ প্ৰীতি বা Love at first sight তাৰে এটি পদক্ষেপ। এই প্ৰীতি ভোকাতুৰৰ খাদ্যৰ প্ৰতি ওপজা প্ৰীতিৰ তুল্য। ভোকাতুৰে খাদ্যৰ গোন্ধ পালে পোনেই যেই-সেই বস্তুকে খাই পেলাব খোজে। কথাতে কয় বোলে—'ভোকে কি জানে ডেৰা কৰকৰা; শগুনে কি জানে মৰা-আধামৰা!' প্ৰথম দৃষ্টিৰ প্ৰীতিও ওপজে যুৱক-যুৱতীৰ ভিতৰতহে। অন্তৰৰ ভোক দুয়োৰো সমান, ওপৰখনঃহ বুঢ়া লুইতৰ দৰে দেখাত গহীন গম্ভীৰ। গতিকে সুবিধা পালেই চকুৱে-চকুৱে বিজুলী চমকে আৰু লোৱে চুম্বক বা চুম্বকে লো-ক টনাৰ দৰে, টানি নিব খোজে। দৃষ্টি-বিনিময়ৰ প্ৰীতিও কিন্তু কেতিয়াবা ফুটত উঠিলেগৈ পকা প্ৰেমত পৰিণত হয়। ফুটত তুলিব পৰাটোহে তেনেই সহজ নহয়।

দৃষ্টিৰ প্ৰীতিৰ কথা এৰি বচন-প্ৰীতিৰ কথা চোৱা যাওক। বাক্যৰ প্ৰীতিয়ে পোনেই অন্তৰত প্ৰৱেশ কৰি মন-প্ৰাণ মতলীয়া কৰি তোলে। এই প্ৰীতি সহজে পাহৰা নাযায়। কথাৰ কটা-কটি, উত্তৰা-উত্তৰিয়ে ইজনৰ মন সিজনৰ প্ৰতি ক্ৰমাৎ আকৰ্ষণ কৰে। ই যেন প্ৰেমৰ পুখুৰীত সৰু সৰু ঢৌ তোলা মলয়া বা; প্ৰেম-হস্তীক আগ বঢ়াই নিয়া অঙ্কুশৰ খোঁচ।

তাহানি জীৱন-যাপন যেতিয়া সহজ আছিল, মানুহৰ মন কমোৱা তুলাৰ দৰে স্বাধীন আছিল, সেই সময়ত কথা পাতি বা মুখৰ মালিহা মাৰি সময় কটোৱা তেনেই সহজ হৈ পৰিছিল। সেই বাবেই সেই যুগৰ গল্প আৰু কাহিনীবোৰত কথাৰ চুপতিত ওপজা প্ৰেমৰ ঢেৰ নিদৰ্শন পোৱা যায়। আমাৰ দেশতেই নহয়, সকলো দেশতে সেই একে কথা আছিল। পঞ্চদশ শতিকাৰ বীৰবেশী পলাতক নাইট এজনে তেওঁৰ প্ৰেমিকাৰ লগত কেনে-

ধৰণে কথা পাতিছিল আৰু সেই কথা-বতৰাৰ ফল স্বৰূপে ৰূপহী প্ৰেমিকাই ঘৰ-বাৰী এৰি তেওঁৰ লগত কেনেকৈ হাঁহি-ভাগ্যলৈ গুচি গৈছিল তাৰ কাহিনী নাট-ব্ৰাউন মেইডৰ বিষয়ে লিখা ইংৰাজী কবিতাটিত পঢ়িবলৈ পোৱা যায়। ইংৰাজীত তেনে ধৰণৰ অনেক কবিতা আছে। সেইবোৰত প্ৰেমিক-প্ৰেমিকাৰ উত্তৰা উত্তৰি ইয়াৰ্কিথন পঢ়িবলৈ বৰ আমোদ লাগে। আমাৰ বিহুগীতবোৰত তেনেকুৱা ইয়াৰ্কি বা চুপতি অনেক আছে। উদাহৰণ স্বৰূপে যেনে,

চেলু চাই পিৰীতি কৰিবা সাদৰী
সময় চাই লগাবা মাত;
শতৰু দেখিলে ককাইদেউ বুলিবা
ভিতৰি বুলিবা নাথ।

উত্তৰ— এইপিনে খোন গ'ল মৰমৰ ধন গ'ল
মূৰত সোণোৱালী টুপী
আছে সাত শতুৰু মাতিব নোৱাৰোঁ
চাও বেৰ-জলঙাই জুপি।

* *

আকৌ প্ৰশ্ন— লুইতৰ গুৱনি বৰৈঙ্গে চাপৰি
সৰগৰ গুৱনি তৰা
ভিতৰি ভিতৰি লোকলৈ পিৰীতি
মুখেৰে চুপতি কৰা।

উত্তৰ— লোকলৈ চুপতি কৰা নাই লাহৰী
মনত কথাবাৰি আছে;
তামোল খোৱা হলে ফালি যেন খেথুৰাম
ভিতৰত কি কথা আছে।

* * *

প্ৰশ্ন— আগে দাই গ'লা পিছলৈ নাচালা
এবিলা চেনেহৰ থোক;
চেনেহৰ থোকেটি যেনেকৈ এৰিলা
তেনেকৈ এৰিলা মোক।

উত্তৰ— এবোঁ বুলি এৰা নাই তোকে ঐ লাহৰী
বেয়া বুলি এৰা নাই তোক ;
মোৰ লগত চুপতি আনৰ লগত পিৰীতি
সেইদেখি এৰিলোঁ তোক।

* * *

প্ৰশ্ন— চকলা টেঙাটি অকলৈ নাখাবা
আমাকো এচকল দিবা ;
যোৰহাট জিলালৈ অকলৈ নাযাবা
আমাকো লগতে নিবা।

উত্তৰ— তেলৰে বাটিতে তেল মলঙিলে
গাত মলঙিলে ঘাম ;
সুহুৰি মাৰিলে ওলাই তুমি আহিবা
দুয়ো একেলগে যাম। ইত্যাদি

বিহুগীতৰ দৰে গীত অন্যান্য সকলো দেশতে আছে। জাপানত পুষ্প-নৃত্য (Flower Dance) বুলি এবিধ নৃত্যৰ লগত গীত-বাদ্য চলে। সেই গীতত অসমীয়া বিহুগীতৰ ডেকা-গাভৰুৰ চুপতিৰ দৰে চুপতি অথবা মিলনৰ ইঙ্গিত পোৱা যায়। তাৰ নমুনা, যেনে—

If you want to meet me, love,
Only we twain,
Come to the gate, love,
Sun-shine or rain,
And if people pry
Say that you came, love,
To watch who went by.

* * *

If you want to meet me, love,
Only you and I,
Come to the pine-tree, love
Clouds or clear sky ;

Stand among the spikelets, love,
And if folks ask why,
Say that you came, love,
To catch a butterfly.

এনেবোৰ ইয়াৰ্কি আজিকালিৰ অসমীয়া গীততো একেবাৰে নোহোৱা নহয়। ৰেডিওৰ গীতত ইয়াৰ স্পষ্ট প্ৰতিধ্বনি কেতিয়াবা শুনা যায়। ৰেডিওত গীত গোৱা যুৱক-যুৱতীৰ মাজত গোনতে গীতৰ ইয়াৰ্কি আৰম্ভ হয় আৰু সিয়ে গৈ কেতিয়াবা দুয়োবো মাজত বিবাহবন্ধনত পৰিণতি লাভ কৰে। এনে বিয়াৰ উদাহৰণ অসমীয়া সমাজতে একাধিক আছে।

গাঁৱলীয়া গীত-মাতবোৰৰ মাজতো এনে ইয়াৰ্কিৰ নিজৰা দূৰ অতীতৰ-পৰা বৈ থকা দেখা যায়। মঙ্গলদৈত নাৰ্ভোলি বুলি একশ্ৰেণীৰ অশ্লীল গীত গৰখীয়াৰ মুখে মুখে সৌ সিদিনালৈকে চলি আছিল। এটা গৰখীয়াই এজোপা গছত উঠি পথাৰৰ এমূৰে এটা গীত লগাই দিয়ে আৰু পথাৰৰ সিমূৰে থকা অন্য এটা গৰখীয়াই তাৰ উত্তৰত আৰু এটি গীত ধৰে। পথাৰত গৰু চৰি থাকে। বতাহৰ বোকোচাত গীতৰ ধ্বনি গৈ দূৰ-দূৰণিৰ গাঁও-ভূঁইত প্ৰতিধ্বনিত হয়।

নাৰ্ভোলি-গীতৰ সুৰ বিহুগীতৰদৰে মিহি নহয়। ইয়াক যুৱকেহে গায়। গতিকে ইয়াৰ ধ্বনি-প্ৰতিধ্বনি বহুত দূৰৰপৰা শুনা যায়। ম'হ-ৰখীয়াবোৰে ম'হৰ পিঠিত উঠিও এই গীতৰ বাগ টানে। তেনে গীতৰ নমুনা চাওক—

আলিৰে ভাজতে মই গৰু চাৰিলোঁ
গল মেলি গজালি খায়;
আজিৰ ঝায়া-ছলি এনেহে ঘটীয়া
জোকালেই গোচৰক যায়।

* * *

আলি বাটে বাটে ম'হৰে লেখাৰি
গোৱালটো পিছতে ৰ'ল;
গুটিয়া বটোতে গাভৰু জোকাওঁতে
ম'হ বনৰীয়া হ'ল।

* * *

কৈৰাহ কুমটি খায়ে ঐ লাহৰী
কৈৰাই কুমটি খায়;
আজিৰ ঝীয়া-ছলিৰ গাত হাত লগালেই
পোনে গোচৰলৈ যায়।

* * *

কঠিয়াতলীৰে বটায়া টিঙৰা (শিঙৰা)
জুলুকি-ঘঁটীয়া পুঠি;
এতিয়াৰ ছোৱালী এনেহে ঘঁটীয়া
ধুৰে বাঁ্হ ঘোঁৰাত উঠি।

* * *

নদীৰে সিপাৰে মই গৰু চাৰিলোঁ
গাঁত-ভৰাই মাৰিলোঁ ইন্দুৰ;
তোৰে ভনায়াৰে দেউল চাব যাওঁতে
কপালত মাৰি গ'ল সিন্দুৰ।

* * *

কিয়নো মাৰিলি ফোটে ঐ লাহৰী
কিয়নো দি গলি ফাকি।
নালাগে নাচাওঁ তোক নালাগে আক মোক
লগাম মৰমতে নাকী।

* * *

এই গীতবোৰৰ ৰচনা দেখাত বিহুগীতৰ দৰেই; কিন্তু সুৰ হলে বিহু-গীততকৈ পৃথক ধৰণৰ। ছোৱালী জোকোৱা অশ্লীল গীত কাৰণে এইবোৰ আজিকালি লুপ্ত হৈ আহিছে। গাভৰু ছোৱালীক উদ্দেশ্য কৰিয়েই এইবোৰ গীত মুখৰ খজুৱতি পলাবলৈ চেঙেৰা গৰখীয়াবোৰে মুখে মুখে ৰচনা কৰি গাইছিল।

বিয়াৰ যোৰা-নামবোৰতো এনেধৰণৰ চুপতিৰ ইঙ্গিত পোৱা যায়। ইয়াৰ মাজেদি নামতীসকলে নিজৰ বাক্-চাতুৰ্য্যৰ পৰিচয় দাঙি ধৰে। কন্যাপক্ষীয়া আৰু বৰাপক্ষীয়াৰ আয়তীসকলৰ মাজত যেতিয়া বিয়া-নামৰ

যোৰা-নাম পৰ্ব্ব আৰম্ভ হয়, তেতিয়া দুয়ো পক্ষতে উৎসাহ-উলাহৰ উথল-মাথল লাগে। কন্যাঘৰীয়াৰ নামতীয়ে গায়—

আহু ধানৰ মাজে মাজে কথৈ কাঠৰ বুৰা ;
আইটীলৈ দৰা পাইছে বাপেকতকৈ বুঢ়া।
কোমল কইনা বুঢ়া দৰা, কথাৰ নাপাওঁ সাঁচ।
পকা ডাটিত লাগি আছে এপ খিহা বাহু॥

কইনাক সাধাৰণতে যোৰা-নামত বেয়া বোলা নহয় ; দৰাকহে বেয়ে যোৰা-নাম বেছিকৈ গোৱা হয়।

কেতিয়াবা কেতিয়াবা যোৰা-নামৰ প্ৰতিযোগিতা এফালে ডেকা লৰাৰ দল আৰু আনফালে গাভৰু বা ছোৱালীৰ দলৰ ভিতৰতো চলে। এবাৰ এটা আমোদজনক ঘটনা হৈছিল। আগৰপৰাই ভাব-ভঙ্গী আৰু দৃষ্টিৰ বিনিময়ত প্ৰেম উপজি থকা এজন যুৱক-গায়ক (ওজা) আৰু এজনী গাভৰু নামতীৰ ভিতৰত যোৰা-নাম দি থকাৰ পিছত বিয়া ভগাৰ লগে লগে সেই ৰভাৰ তলতে মাল্যদানৰ দ্বাৰা বিয়া হৈছিল। ঘটনাটো ঘটিছিল যোৰা-নামৰ জৰিয়তেই। আগতেও হয়তো দুয়োৰো ভিতৰত তেনেকুৱা গোপন বুজা-বুজি আছিল। সেই দিনা গাভৰুসকলৰ যোৰা-নামৰ উত্তৰত ডেকা ওজাই লগাই দিছিল—

ৰাম ৰাম—ফুলৰে ভিতৰত
ৰাম ৰাম—গেন্ধাই মালতী
ৰাম ৰাম—ফলৰে ভিতৰত ভীম ;
ৰাম ৰাম—আমি যোৰা নামে
ৰাম ৰাম—দিবয়ে লাগিলে
ৰাম ৰাম—নামতীক পলুৱাই নিম॥

এই 'পলুৱাই নিম'তে আৰম্ভ হোৱা যোৰা-নামে—নামৰ কটাকটি আৰু কথাৰ উথনা-উথনি অতিক্ৰম কৰি ওজা আৰু নামতীৰ মাজত হোৱা বিয়াত পৰিণতি লভিছিল। কথাটো অলপ আচৰিত যদিও, কিন্তু সঁচা।

(২)

ডেকা-ডেকেৰীৰ ভিতৰত মুখৰ খুজুৰতি পলোৱা কথা-বতৰা আৰু ভঙ্গী-ভুৰিয়ে যে কেনেকৈ প্ৰণয়ৰ বাট কাঢ়ে, তাৰ উদাহৰণ পুৰণি সাহিত্যতো আছে।

সংস্কৃতত তেনে ধৰণৰ চিন্তা আৰু কৌতুহলৰ খণ্ডুৰতি তোলা অনেক আখ্যান আছে। সীতা নামৰ এগৰাকী মহিলা কবিয়ে এটা কবিতাত এটা অৰ্থত চন্দ্ৰক উদ্দেশ্য কৰি আৰু অন্য এটা অৰ্থত তেওঁৰ ভগ্নাতুৰ প্ৰণয়ীক উদ্দেশ্য কৰি এইদৰে শুনা শুনাকৈ কৈছিল—

মাভৈ শশাঙ্ক মম সীধুনি নাস্তি ৰাহুঃ।
খে ৰোহিনী বসতি কাতৰ কিং বিভেষি ॥
প্ৰায়ো বিদগ্ধ বনিতা-নব-সঙ্গমেষু।
পুংসাং মনঃ প্ৰচলতি কিমত্ৰ চিত্ৰম্ ॥

"অৰ্থাৎ হে শশাঙ্ক (নাৰীগৰাকীৰ উপপতিৰ নাম আছিল শশাঙ্ক অৰ্থাৎ চন্দ্ৰ), তুমি ভয় নাখাবা। তোমাৰ এই মদৰ মাজত (অৰ্থাৎ মদমত্ততাত বা মোৰ লগত আমোদ-প্ৰমোদ কৰোঁতে ভয় কৰিবলৈ ওচৰত) ৰাহু (মোৰ স্বামী) নাই। ৰোহিণীও (তোমাৰ পত্নীও) আকাশত বাস কৰিছে (বহুত দূৰত আছে)। হে ভগ্নাতুৰ যুবক, তুমি কিয় ভয় কৰিছা? অৱশ্যে শিক্ষিতা মহিলাসকলৰ লগত নতুনকৈ বন্ধুতা কৰোঁতে পুৰুষৰ মন ভয়-বিহ্বলতাত কাতৰ হৈ উঠে; তাত আচৰিত হ'বলগীয়া একো নাই। গল্পৰ বাকী অংশৰ আৰু প্ৰয়োজন নাই।

কালিদাসৰ নামত চলি থকা 'শৃঙ্গাৰ-তিলকম্', 'শৃঙ্গাৰ-ৰসাষ্টকম্, আদি কিছুমান কাব্যত এনেবোৰ চুপতি অনেক আছে। 'শৃঙ্গাৰ-তিলকম্' কাব্যৰ এঠাইত আছে—চঞ্চলমতি কোনো যুৱকে সুন্দৰী নাৰী এগৰাকীক সোধাই কৈছে—'হে সুন্দৰী, তুমি নো নমিতস্তনা হ'লা কেনেকৈ?—উত্তৰত ৰমণীয়ে কলে— 'হে মূৰ্খ, খান্দিলে পৰ্ব্বতো খহি পৰে বুলি তুমি আজিলৈও নাজানানে?' 'কথমেতৎ কুচদ্বয়ং পতিতং তব সুন্দৰী?' 'পত্যাৰঃ খননাৎ মূঢ়, পতন্তি গিৰয়োঽপি চ।'

সঁচাকৈ কয়, কবি চণ্ডীদাসে ধুবুনী ৰামীৰ উদ্দেশ্যে গীত ৰচনা কৰি প্ৰাণঢালি সেইবোৰ গাই গাই নিজৰ হৃদয়ৰ প্ৰেম-নৈবেদ্য সেই ৰমণীৰ উদ্দেশ্যেই অৰ্পণ কৰিছিল; ৰামী কোনোবা আছিল যদিও, তেওঁৰ অন্তৰ চণ্ডীদাসৰ গীতে স্পৰ্শ কৰিব পৰা নাছিল। কিন্তু এইটো সাধাৰণ অভিজ্ঞতাৰ কথা যে ৰতাহ খেদিয়া মোৰেৰ বলে আৰু পানীৰ ওপৰ ভাগত

তাৰ সংঘৰ্ষ হয়, তেতিয়া এটা মাত্ৰ ঢৌ এঠাইত উঠিব এনে কথা হব নোৱাৰে। যিখিনি ঠাইত বতাহ বলৈ ধৰে, সেই ঠাইত একাধিক ঢৌ বা কল্লোলৰ সৃষ্টি হবই। প্ৰবাদ আছে যে চণ্ডীদাসৰ ঐকান্তিকতাভৰা করুণ গীতৰ মাদকতাত আনকি সেই যুগৰ নবাবৰ বেগম এগৰাকীও তেওঁৰ প্ৰতি অনুৰক্ত হৈ পৰিছিল আৰু তাৰেই পৰিণামত নবাবে তেওঁক হত্যা কৰিছিল। এনে স্থলত ৰামী যে বিচলিত হোৱা নাছিল, সি অসম্ভৱ কথা। ৰামীয়েও হেনো চণ্ডীদাসৰ গীতৰ উত্তৰ গীতেৰে দিছিল—। তেনে দুটা গীত তলত উল্লেখ কৰা হ'ল :—

চণ্ডীদাসৰ— পাসৰিতে কৰি মনে পাসৰা নায়ায় গো,
কি কৰিবে কি হবে উপায়।
কহে দ্বিজ চণ্ডীদাসে কুলবতীৰ কুলনাশে
আপনাৰ যৌবন যাচায়।।

ৰামীৰ— তুমি দিবা ভাগে লীলা অনুৰাগে
ভ্ৰম সদা বনে বনে,
তাহে তব মুখ নেদেখিয়া দুখ
পাই বহু ক্ষণে ক্ষণে।
তুমিসে আমাৰ আমিসে তোমাৰ
সুহৃদ কে আছে আৰ?
খেদে ৰামী কয় চণ্ডীদাস বিনা
জগৎ দেখি আঁধাৰ।

দুয়োটা গীতেই মানুহৰ মুখত চলি আছে।

(৩)

কাশ্মীৰী পণ্ডিত শিহ্লন মিশ্ৰৰ কথা অনেকৰে জনা আছে। তেওঁৰ ৰচিত 'শান্তি শতক' আদি গ্ৰন্থ বিশ্ব-বিখ্যাত। 'শান্তি-শতক' তেওঁ কেনেকৈ ৰচিবলৈ পালে তাৰো এটা ৰহস্য আছে।

শিহ্লন মিশ্ৰ আছিল ৰজাৰ সভা-পণ্ডিত। শিহ্লনৰ পাণ্ডিত্যত মুগ্ধ হৈ ৰজাই তেওঁক নিজ কন্যা ৰাজকুমাৰীৰ গৃহ-শিক্ষক নিযুক্ত কৰিলে। ৰাজকুমাৰী সেই সময়ত যৌৱনৰ দুৱাৰডলিত ভৰি দিছিল। পণ্ডিত শিহ্লনো

আছিল তেতিয়া আদৰয়ণীয়া। সেইদেখি ৰজাই আগপাছ গুণি এটা উপায় উলিয়ালে। গৃহ-শিক্ষাৰ পাঠাগাৰত শিক্ষক আৰু ছাত্ৰী বহিবৰ কাৰণে তেওঁ এনে অভিনৱ ব্যৱস্থা কৰি দিয়ালে যে শিক্ষক আৰু ছাত্ৰীৰ মাজত কেতিয়াও কোনো প্ৰকাৰে দেখা সাক্ষাতেই নহব, অথচ শিক্ষাৰ আদান-প্ৰদানো অব্যাহত ৰব। পাঠাগাৰত দুয়ো এখন আঁৰকাপোৰৰ ব্যৱধানত থাকি পাঠৰ আদান-প্ৰদান কৰিব।

সেইমতে কাম হ'ল। দিনৰ পিছত দিন যাবলৈ ধৰিলে। পণ্ডিতে আঁৰকাপোৰৰ আঁৰৰপৰা ছাত্ৰীক প্ৰশ্ন সোধে, ছাত্ৰীয়েও আঁৰৰপৰাই তাৰ উত্তৰ দিয়ে। এনেকৈ থাকোঁতে দুয়োকো দুয়ো চাবৰ কাৰণে দুয়োৰো অন্তৰত প্ৰবল হাবিয়াহ জন্মিল। ইফালে অলঙ্কাৰ শাস্ত্ৰৰ অধ্যয়নো শেষ হৈ আহিল। পৰীক্ষাৰ কাল উপস্থিত হ'ল। পৰীক্ষা কেইবাদিনো চলিল। পৰীক্ষাৰ মাজতে নানা বিষয়ৰ ৰহস্যপূৰ্ণ তৰ্কৰ উত্তৰ হ'ল।

শিক্ষকে কয়— 'কুমুদিনী (ভেঁটফুল) ধুনীয়া।'

ছাত্ৰীয়ে কয় 'চন্দ্ৰও ধুনীয়া।'

শিক্ষকে আকৌ কয় 'চন্দ্ৰই মেঘৰ কাৰণে কুমুদক নেদেখি কান্দে আৰু সেই কান্দোনৰ চকুলোৰে মেঘৰ অন্তৰ ভেদ কৰি কুমুদকো ধুৱাই দিয়ে। কুমুদে সেইটো নাজানে। কিন্তু সেইবাবেই কুমুদ এনে অলৰ-অচৰ।'

ছাত্ৰীয়ে কয়— 'কুমুদেও যে কান্দে তাক চন্দ্ৰই বুজিব কিদৰে? কুমুদৰ নীৰৱ অশ্ৰুজলত পুখুৰীৰ পানী বাঢ়ে। কুমুদে এনেকৈ নিজৰ চকুলোকে আশ্ৰয় কৰি নিজে তাতে উটি-ভাহি দিনবোৰ কটায়।'

শিক্ষক— 'তেন্তে দুয়োকো দুয়ো নাপাই যুগযুগান্তৰ বিৰহতে কটাবনে?'

ছাত্ৰী— 'চন্দ্ৰ আকাশত থাকে। তেওঁ মুকলিভাৱে বিচৰণ কৰে। তেওঁৰ পৰিকল্পনাত কুমুদে কাম কৰিলে মিলন কিয় বাৰু অসম্ভৱ হব? জগতত অসম্ভৱ কাৰ্য্য কি আছে?'

এনে কথোপকথনৰ ফলত পণ্ডিত শিহ্লনে ৰাজকন্যাক পলুৱাই লৈ বেখাস্তৰী হ'ল। ৰজাই অনেক অন্বেষণ কৰি পণ্ডিতক ধৰাই আনিলে আৰু কাৰাগাৰত বন্ধ কৰি থলে। তাতেই শোকাভিভূত পণ্ডিত শিহ্লনে প্ৰেম-বিৰহ অন্তৰত শান্তি লভিবৰ কাৰণে 'শান্তি শতক' ৰচনা কৰিছিল।

(৪)

আৰু এটা সত্য কাহিনী। কেৰলীয়াৰ সম্বৎসৰৰ ওচৰতে বহুত বহুৱা-হজুৱা হা লোকৰ ঘৰ। কেৰলীয়াই পুৰা-গধুলি প্ৰসঙ্গ কৰে। নোদোকা শৰীৰ আৰু কেঁচা হ'লধিৰ হৰে চেহেৰাৰ কেৰলীয়াক গাঁৱৰ ডেকা-বুঢ়া কোনোৱে ভুলতেও কোনো প্ৰকাৰে অশ্ৰদ্ধা নকৰে। তেওঁ অবাধে সকলোৰে ঘৰলৈ অহা-যোৱা কৰে আৰু কেতিয়াবা দুই একোফাকি বৰগীত গাই গাঁৱৰ জীয়াৰী-বোৱাৰীসকলক শুনায়।

কেৰলীয়াৰ সঙ্গীসকলে সদায় তিনিও সন্ধ্যা তেওঁৰ লগতে নাম গাই প্ৰসঙ্গ ধৰে। কেৰলীয়াই পদ কগাই দিয়ে, বাকী সকলোৱে ধৰে। সঙ্গী-সকল কিন্তু ঘোষাফাকিতেই সন্তুষ্ট থাকে। পদত কেৰলীয়াই কি বোলে, কি নোবোলে তেওঁলোকে মন নকৰে। একোটা প্ৰসঙ্গ গাই উঠি এখন তামোল খাবৰ সময় সকলোৰে ধৰংস মথন কৰে। কেৰলীয়াই বিবাহৰ এই মুহূৰ্ত্ত চেৰেকতে ওচৰৰ ঢেঁকীশালৰপৰা উটি অহা কামিনী-কণ্ঠৰ গীত একোফাকিলৈ কাণ পাতে আৰু অন্যে যাতে সেই গীত ভালকৈ শুনিবলৈ নাপায়, তাৰ বাবে মাজে মাজে কংসবধৰ হাতত লৈ দুই একোচাৰ বজাই তালবাদ্যৰ বিষয়ে বক্তৃতা দিয়ে।

এদিনৰ কথা। কেৰলীয়াই হঠাৎ ঘোষা-নাম দি নাম-প্ৰসঙ্গ সামৰিলে। প্ৰসঙ্গৰ এনে অভাৱনীয় অসম্পূৰ্ণতাত সঙ্গীসকলৰ উৎপিচনি লাগিল। তেওঁলোকে কেৰলীয়া বাপৰ তেনে কাৰ্য্যৰ কাৰণ বুজিব নোৱাৰিলে। নোৱাৰিবৰ কথাও, কাৰণ তেওঁলোকে একান্তমনে নামহে গাইছিল—পদত পাঠকে কি বুলিছিল শুনিছিল জানো ? কেৰলীয়া পাঠকে পদত গাইছিল—

ঘোষা—ৰাম কৃষ্ণ গোপাল,
জাতি জাতি কৃপাল।
পদ—পাছে জাৰত্তে যায়;
মনে মনে ভাবি চাই।
বুলিবাক লৈলা বিচৈা;
কাণ দিয়া শুনা দিচৈা।
ইচৈা কাম কি কৰিলা;
তুমি দেখো কাৰি দিলা।

ইটো ঘোৰ পাপ হব ;
আশা ভঙা পাপে ছুব।
প্ৰসঙ্গকো এৰি থৈ ;
যাব পাৰো সিধানলৈ।
ক্ষোৰা তুমি এতিক্ষণে ;
ৰক্ষা কৰক ভগৱানে।

পাঠকে ভুৰাৰকৈ ওপৰৰ পদখিনিৰ প্ৰত্যেক শাৰীকে গাই প্ৰথমে ধীৰ-গম্ভীৰভাৱে আক পিছত খোকা নাম ধৰিলে। সঙ্গী সকলে কেৱল যোৰা-শাৰী মাত্ৰ গাই গ'ল। প্ৰসঙ্গটো শেষ হ'লত আকৌ নানান বিষয়ৰ কথা চলিল। সেই কথা-বতৰাৰ ভিতৰত কাণ উনাই কেৱলীয়া পাঠকে বতাহত ভাহি অহা বিয়া নামৰ এই গীতফাকি শুনিবলৈ পালে—

ৰাম ৰাম আমাৰ জানো গাত
ৰাম ৰাম কিবা শেষ আছেই
ৰাম ৰাম সময় সুবিধাৰে কাম—হে ৰাম।
ৰাম ৰাম এতিয়াও দেখোন
ৰাম ৰাম সময় যোৰা নাই
ৰাম ৰাম সামৰিলে হয় নাম—হে ৰাম।
ৰাম ৰাম বেৰবে ফাকতে
ৰাম ৰাম গছৰে কাষতে
ৰাম ৰাম লয় আমি হৰিৰ নাম হে ৰাম।

বিয়া নাম সামৰাত প্ৰসঙ্গৰ সুৰত আকৌ ভুনাই গোৱা শুনা গ'ল—

অ' যদি আছে জেনে মন ;
প্ৰসং এৰা এতিক্ষণ।

আমাৰ কেৱলীয়া পাঠকে এইবাৰ তৃতীয়টো প্ৰসঙ্গ নোগোৱাকৈ দ্বিতীয় প্ৰসঙ্গটো লগাই দি নামটো শেষ হবলৈ নৌপাওঁতেই মাজ মানতে ঠেকেচা মাৰি' 'অ' ৰাম জয় হৰি' বুলি প্ৰসঙ্গ সামৰিলে আক গা বৰ ভাল নলগা নাই বুলি সঙ্গী ভকতসকলক বিদায় দিলে। তাৰ পিছত? তাৰ পিছত কি হ'ল কোনেও নাজানে।

ভক্তৰ কথা কলে মো কি হব? আমাৰ কৃষ্ণ ভগৱানে জানো ৰাধাৰ কাৰণে কম কৰিছিল? ভক্ত কৰি জয়দেৱে ৰাধাকৃষ্ণৰ অভিসাৰ বৰ্ণনা

কবোতে কৃষ্ণই ৰাধাৰ কাৰণে কত বিৰহৰ অপেক্ষা কৰিছিল, তাকে কেনেকৈ কৈছে শুনক—

ধীৰ-সমীৰে যমুনা-তীৰে বসতি বনে বনমালী
পীন-পয়োধৰ পৰিসৰ মৰ্দন চঞ্চল-কৰযুগ শালী ॥

আকৌ ৰাধা অহা বাটটোলৈ চাই কৃষ্ণই—

পতিত পতত্ৰে বিচলতি পত্ৰে শঙ্কিত-ভবদুপযানম্,
ৰচয়তি শয়নং সচকিতনয়নং পশ্যতি তব পন্থানম ।

ৰাধাই সেই বাবেহে কৈছিল—

কত মধু যামিনী ৰভসে গোঁয়ায়নু
না বুঝনু কৈচন কেল।
লাখ লাখ যুগ হিয়ে হিয়ে ৰাখনু
তবু হিয়া জুড়ন না গেল।

এইবোৰ অৱশ্যে দেৱতাৰ লালা। সাধাৰণৰ ঘটিলে তাক ধৰি-বান্ধি কিলা। এইবোৰে প্ৰণয়-পথৰ পদক্ষেপবোৰৰ ইঙ্গিত মাত্ৰ দিয়ে। ছেওৰ মূৰত চাপৰি আৰু টেঙাৰ মূৰত টকালি বেলাৰ দৰে কথাৰ মূৰত কথা ওলাই আহি দুটা পৃথক প্ৰাণীৰ মাজত প্ৰেমৰ বেৰতো নিজবাটোৰ কেনেকৈ সৃষ্টি কৰেহি এই ঘটনাবোৰে তাৰে সাক্ষী দিয়ে। খেজৰ মূৰত খোজ দি খোপনি পুতি পথিকে পিচল বাটত আগ বঢ়াৰ দৰে প্ৰেমিক প্ৰেমিকায়ো কথাৰ মূৰত কথা কৈ মনৰ ভাব ভঙা-পতা কৰি সৃষ্টিমূলক প্ৰেমৰ প্ৰতিষ্ঠা কৰে।

বিয়াৰ দৰা-কন্যা আৰু সংসাৰ

হিন্দুৰ বিয়াত দৰা-কন্যাৰ প্ৰথম মিলন ঘটে লগ্ন গ্ৰন্থিৰ দ্বাৰা। এই লগ্ন-গ্ৰন্থি বান্ধিবৰ কাৰণে গণনাৰ দ্বাৰা শুভলগ্ন বাছি লোৱা হয়, যাতে সেই গ্ৰন্থি স্থায়ী আৰু অবিচ্ছেদ্য হব পাৰে; কিন্তু কাপোৰৰ গাঁঠিৰে বাহিৰত সাঙুৰি দিয়া দুটা বিভিন্ন মনৰ পিছৰ জীৱনত সম্পূৰ্ণ মিলন হলেহে লগ্ন গ্ৰন্থিৰ সাৰ্থকতা হয়। ই মাটিত হাবি বন গজাৰ দৰে তেনেই আপোনা-আপুনি হৈ উঠা বস্তু নহয়। তাৰ কাৰণে দাম্পত্য জীৱনত পতি-পত্নী দুয়োৰে কৰিব লগীয়া অনেক কৰ্ম থাকে। পতি-পত্নী দুয়ো দাম্পত্য জীৱনক এটা আৰ্ট বা সাধনাৰ সামগ্ৰী বুলি ধৰি লৈ দুয়োৰো দোষ-গুণ দুয়ো আৱশ্যকমতে এৰাধৰা কৰি আগ বাঢ়িলেহে তাত সাৰ্থকতা লাভ কৰা সম্ভৱ হব পাৰে। তাকে নকৰি দুয়ো দুয়োৰে কেৱল দোষবোৰলৈহে চকু দিলে গাৰ্হস্থ্য জীৱন কাৰাবাসত পৰিণত হয়। ৰবি ঠাকুৰে সেই কাৰণেই কৈছিল—'বহুতে পাহৰি যায় যে দাম্পত্যটো এটা আৰ্ট আৰু প্ৰতিদিনে ইয়াক নতুনকৈ সৃষ্টি কৰিব লাগে।'

দাম্পত্য জীৱনৰ বিদ্যমান সাধাৰণ অন্তৰায় তেনেই আৰম্ভভাৱী; যেনে, বুঢ়া মাক-বাপেকে পুতেকৰ বিয়া পাতি দিয়াৰ পিছত ভাবিবলৈ ধৰে, পুতেক-বোৱাৰীয়েকে হয়তো তেওঁলোকক আদৰ-সাদৰ নকৰা হব, হয়তো পুতেকৰ মৰম-চেনেহ সোপাকে এতিয়া বোৱাৰীয়েকে লৈ লব। তেনে আশঙ্কাৰ হেতুকে মাজে মাজে বোৱাৰীয়েকক কেটেৰা-জেঙেৰা কৰা বা পুতেককো অলপ অস্বাভাৱিক ধৰণে ব্যৱহাৰ কৰা বুঢ়া-বুঢ়ীৰ কাৰণে তেনেই স্বাভাৱিক কথা হৈ পৰে। পুতেকৰ ওপৰত তেওঁলোকৰ আগৰ প্ৰভুত্ব আৰু কৰ্তৃত্ব আছেনে নাই, তাকে পৰীক্ষা কৰিবলৈও কেতিয়াবা কেতিয়াবা তেওঁলোকে কঠোৰ আদেশ জাৰি কৰি সেই আদেশ তামিল হয়নে নাই লক্ষ্য কৰি থাকে। বোৱাৰীৰ কাৰণেহে পুত্ৰৰ মন ঘূৰিল বুলি ধৰি লৈ অনেক শহুৰ-শাহুৱেকে বোৱাৰীৰ প্ৰতি কৰ্কশ ব্যৱহাৰ

কৰে। বহুতে প্ৰকাশ্যে কয় যোলে—আমাৰ ভাল লৰাটোক এই শাখিনীয়ে খালে, আছুদি কৰি বশ কৰি ললে। মনোবিজ্ঞানীৰ মূল সূত্ৰবোৰৰ সম্ভেদ বুঢ়া-বুঢ়ীয়ে নাপায়।

নাৰীয়ে কিন্তু যুগে যুগে সদ-সৰ্ব্বদা সকলো নিৰ্য্যাতনৰ মাজেদি পুৰুষৰ সেৱা কৰি আহিছে। পুৰুষে নাৰীৰ বিষয়ে অনেক সমালোচনা কৰে—'নাৰী নৰকৰ দ্বাৰ', 'পথি নাৰী বিবৰ্জ্জিতা', 'কামিনী-কাঞ্চন স্বৰ্গ-পথৰ কণ্টক' ইত্যাদি; কিন্তু পুৰুষৰ জানো কিবা কাম নাৰীক বাদ দি হয়? ৰবি ঠাকুৰে 'চিৰকুমাৰৰ সভা'ত আৰু টেনিচনে 'প্ৰিন্সেছ বা 'ৰাজকুমাৰী' নামৰ বিখ্যাত কবিতাত এই কথা যুক্তিৰে প্ৰতিপন্ন কৰিছে। অকল আসঙ্গ ভোগ-লিপ্সাৰ কাৰণেই নহয়, সঙ্গ-সুখ, সাহচৰ্য্য আৰু মধুৰ আলাপ-আলোচনাৰ কাৰণেও নাৰী-সঙ্গ পুৰুষৰ সৰ্ব্বতোভাৱে কাম্য। আনকি মহাত্মা গান্ধীৰ দৰে জিতেন্দ্ৰিয় মহাপুৰুষেও প্ৰতিদিনে নাৰী-সঙ্গত কিছু কাল কটাই আনন্দ পাইছিল। সন্ত বিনোবাজীয়েও তেওঁৰ পদযাত্ৰাৰ বিৰাট অভিযানত 'পথি নাৰী বিবৰ্জ্জিতা' কৰা নাই। এনেকুৱা কাৰণ তেই বোধহয় বাইবেলত কোৱা হৈছে যে জীৱন-যাত্ৰাত সৰ্ব্বতোপ্ৰকাৰে সহায় কৰিবলৈ পুৰুষৰ সঙ্গিনীৰূপে নাৰীক পুৰুষৰে বুকুৰ কামীহাড ভাঙি লৈহে পোনতে সৃষ্টি কৰা হৈছিল। পুৰাণৰ মতেও সৃষ্টি বঢ়াবৰ মনন কৰি ব্ৰহ্মাই মহৰ্ষি মনু আৰু প্ৰজাপতিসকলক সৃষ্টি কৰি উঠি যেতিয়া দেখিলে যে সৃষ্টি নাবাঢ়ে হে নাবাঢ়ে, তেতিয়া তাৰ কাৰণ বিচাৰি পাই নিজৰ শৰীৰৰ বাওঁ-ফাল নাৰী আৰু সোঁ-ফাল পুৰুষৰূপে লৈ ৰমণাৰ্থে ৰমণীৰ বা নাৰীৰ পোনতে সৃষ্টি কৰিলে। তাৰ পিছৰ পৰাহে সৃষ্টি বৃদ্ধি হবলৈ ধৰিলে। আমাৰ শাস্ত্ৰত নিৰঞ্জন পুৰুষে নিজে তাক এইদৰে কৈছে—

একেশ্বৰে থাকি আমি কৰো কোন কাজ।
শৰীৰৰ পৰা এবে জীৱ হৌক ৰাজ ॥
মায়াৰ হাতত কৰাওঁ জগত প্ৰকাশ।
কৰো সৃষ্টি লীলা এবে বিনোদ-বিলাস ॥

পূজাৰীয়ে দেৱতাক লক্ষ্য কৰি দেৱতাৰ প্ৰতিমূৰ্ত্তি বা ঘট-মূৰ্ত্তিক পূজা কৰি যদি ধৰাৰ দৰে নাৰীয়েও কেতিয়াবা পত্নীৰূপে পুৰুষৰ শক্তি-

ধ্যৱণৰা বঞ্চিত থাকিও অহৰহ পুৰুষৰে সেৱা কৰে। পুৰুষ হাৰিয়ে-জহৰে, দেশে-বিদেশে যেতিয়া ঘূৰি ফুৰে, যুদ্ধ-বিগ্ৰহত লিপ্ত হৈ মাহৰ পিছত মাহ ধৰি ঘৰলৈ আহিব নোৱাৰে, তেতিয়াও তেওঁ ঘৰখন ৰাখি পুত্ৰ-কন্যাৰিব প্ৰতিপালনত আত্মনিয়োগ কৰে। সংসাৰ আচলতে তিৰোতা-ৰেই, পুৰুষ কেৱল সেই সংসাৰৰ ৰক্ষক বা প্ৰহৰীহে।

বিয়াৰ কাৰণে অন্তৰৰ ব্যগ্ৰতা বালিৰ তলৰ কন্তু নদীৰ দৰে সকলো নৰ-নাৰীৰ অন্তৰত সুপ্ত থাকে। সেই কাৰণেই যেৰৰ জলঙাইদি আনে নেদেখাকৈ কন্যা-চাবলৈ-অহা ন দৰাৰ ৰূপ নিৰীক্ষণ আৰু বাক্য শ্ৰৱণ কৰা গাঁৱৰ ছোৱালীৰ কাৰণে সাধাৰণ কথা। দৰাৰ বিষয়ে কোনো-বাই কিবা কথা কৈ জোকালে খং কৰি উঠা জীয়ৰী ছোৱালীৰ স্বভাৱেই। তেওঁলোকৰ প্ৰত্যেকৰ মনতে আদৰ্শ পতি এজোজনৰ ছবি আঁকা থাকে। বাস্তৱত হয়তো সেইটো প্ৰায় কাৰো ভাগ্যত নিমিলে।

দৰাৰ ক্ষেত্ৰতো সেই একে কথা। তেওঁৰো মনত তেওঁৰ ভৱিষ্যৎ পত্নীৰ একোটি আদৰ্শ মূৰ্ত্তি আঁকা থাকে। দেখনিয়াৰ গাভৰু দেখিলেই তেওঁ নিজৰ অন্তৰত সেই গাভৰুৰ ছবিটি ৰাখি নিজৰ কৰি লৈ চাব খোজে। নাটক, গল্প, উপন্যাস আদি পঢ়িলেও তেওঁ গল্পৰ নায়িকা বা নায়িকাৰ বান্ধৱী-সকলৰ মাজৰপৰাই মনোমত পত্নী নিৰ্ব্বাচন কৰি লৈ কল্পনাত বিহাৰ কৰে। অনেক সময়ত নিজক গল্প উপন্যাসৰ নায়কৰূপেও কল্পনা কৰি আমোদ পায়। পিছত কৰ্মময় জীৱনত আদৰ্শৰ পত্নীয়ে বাস্তৱত দেখা নিদিলে তেওঁ হৈ পৰে ঘোৰ অদৃষ্টবাদী। তেওঁৰ মুখত তেতিয়া গ্ৰাম্য পণ্ডিতৰ প্ৰবোধ বাণী ওলায়—যা কন্যা, যা বিত্ত।

ছোৱালী চাবলৈ পোনতে বয়সীয়া লোক যায়। চেহেৰাত লেৰেলা ছোৱালী হ'লে ছোৱালীৰ মাক-বাপেকে পোনেই কয়—'দেখাত অলপ লেৰেলা যদিও, এইৰ কিন্তু আন ছোৱালীৰ দৰে একো অসুখ-বিসুখ নাই। জন্মৰপৰাই এই এনেকুৱা। কাম-কাজত কিন্তু আমাৰ আন আন ছোৱালী-বোৰতকৈও এইহে পাকৈত। ওচৰ-চুবুৰীয়াই জানে নহয়—ঘৰ-খন এইৰ হাতৰতে।' —আকৌ বয়সৰ কথা ওলালে কয়—'এই পুহ গৈ মাঘত এইৰ বয়স চৈধ্য গৈ পোন্ধৰত সোমাব।' —ধৰকাৰ হলে কোনো কোনোৱে এই কথাৰ সাৰ্থকতা দেখুৱাবলৈ শিলিখাৰ চিয়াহীৰে লিখা

নতুন কোষ্ঠীকে নিয়ৰত সোমেৰিৱলৈ দি শুৰাই পুৰণিৰ তুল্য কৰি জন্ম-পত্রিকারূপে দাখিল কৰে।

অন্য দিনে বুঢ়াৰ বিয়াও একেবাৰে উঠি যোৱা নাই। অৰ্থ-বল থকা বুঢ়া লোকেও ছোৱালীৰ মাক-বাপেকক সৰহকৈ ধন দি ষোড়শী যুৱতীক বিয়া কৰাই নিয়া উদাহৰণ আজিও দুষ্প্ৰাপ্য নহয়। ৰবীন্দ্ৰনাথে তেনে বুঢ়া লোকৰ বিয়াৰ যুক্তি কবিতাত দি গৈছে।

বুঢ়ায় কয়—'আমাৰ পক্ষে বিয়ে কৰা বিষম কঠোৰ কৰ্ম
কিন্তু গৃহ ধৰ্ম
স্ত্ৰী নাহ'লে অপূৰ্ণ যে ৰয়
মনু হ'তে মহাভাৰত সকল শাস্ত্ৰে কয়।'

(২)

এনে এখন বুঢ়াৰ বিয়াত এবাৰ এটা সুন্দৰ ৰহস্য হৈছিল। আমাৰ জীৱন কালৰে এটি সত্য ঘটনা। পত্নী-বিয়োগ ঘটা এজন ৰবলা বুঢ়া শিক্ষকে চাকৰিৰপৰা অৱসৰ লৈ ১৫।১৬ বছৰীয়া ছোৱালী এজনীৰ লগত বিয়া পাতিবৰ কাৰণে ছোৱালীৰ মাক-বাপেকৰ লগত গোপন কথা-বতৰা চলাইছিল। ছোৱালীৰ মাক-বাপেক আছিল দুখীয়া। তেওঁ-লোকৰ ছোৱালীও কেইবাজনী। চাৰিশ টকা লৈ ডাঙৰ ছোৱালীজনীক বিয়া দিবলৈ তেওঁলোক মান্তি হ'ল। কিন্তু, বিপদ হ'ল গাঁৱৰ যুৱক সকলৰ ডেকাবোৰক লৈ।

বুঢ়া পণ্ডিতে দেখিলে—যুৱকবোৰক বলেৰে নোৱাৰি। গতিকে ছলেৰেহে কাৰ্য্য সিদ্ধি কৰিব লাগিব। তেওঁ যুৱক সকলৰ মুখিয়াল মুখিয়াল কেই-জনমানক গোপনে টকা-সিকা দি হাত কৰিলে। সকলৰ পুঁজিতো দুই তিনি শ টকা দিলে। ফলত যুৱকসকল দুই-চাৰি দিনৰ কাৰণে নীৰৱ হ'ল; কিন্তু নীৰৱ হ'ল দেখাতহে, তেওঁলোকৰ কাম কিন্তু তলে তলে চলিয়ে থাকিল। এদিন বুঢ়া পণ্ডিতে দুবৃত মধুৰাগাণ মাৰি খুন্দা ডামোল জোখাই শহুৰেকৰ ঘৰলৈ অহা দেখি বাটত এটা দৈয়াল ডেকাই মাত লগালে— অ' পণ্ডিত আইৈ, দাঁত দেখোন নাই, ছোৱালী বিয়া কৰাই নি কো

কি কৰিবা?'—পণ্ডিতে উত্তৰ দিলে—'বোপাই, তই কি বুজিবি? সিটো জানো দাঁতৰ কাম?'

যুৱকসকলে ছোৱালীৰ বাপেকক গোপনে লগ ধৰি কলে যে ছোৱালীৰ কাৰণে উপযুক্ত দৰা তেওঁলোকে দিব আৰু বুঢ়াকো কন্যা তেওঁলোকেই দিব। ছোৱালীৰ বাপেকে তেওঁলোকৰ কথামতে কাম কৰিব লাগে মাত্ৰ।

কন্যাৰ বাপেকে দেখিলে ডেকাবোৰৰ মতিগতি বৰ ভাল নহয়। সিহঁতক বাধা দিলে বিপদহে আছে। সাত-পাছ গুণি তেওঁ ডেকাহঁতৰ প্ৰস্তাৱত মান্তি হ'ল। ডেকাহঁতৰ দিহা মতে বিয়াৰ আগ নিশাতে ছোৱালীৰ অন্য এটা যুৱকৰ লগত চাপে-চুপে মাল্য-বৰণত বিয়া হ'ল আৰু বিয়াৰ দিনা বুঢ়া পণ্ডিতৰো যথাবিধি বিয়া হৈ গ'ল। ঘৰত গৈ দেখে বুঢ়া পণ্ডিতে, ছোৱালী নহয়, ডাঢ়ি-গোঁফে ভোবোকাৰ মানুহ এটাহে বিয়া কৰালে।

ঘটনাটো ঘটিল এনেদৰে—। বিয়াৰ কাৰণে পণ্ডিতক যুৱক সন্মিলনে কৈছিল যে বিয়াখন নিচ চাপে চুপে হব লাগিব, নহলে সন্মিলনৰ মান নাথাকে, আৰু বিয়াৰ পিছত কন্যাকো দস্তুৰ মতে অন্য কন্যাক নিয়াৰ দৰে দোলাত তুলি নিব লাগিব। বিয়ালৈ মাত্ৰ ৪।৫ গৰাকী মাইকী মানুহ আহিব পাৰিব। মাইকী মানুহৰ লেখত ছোৱালী অহাই ভাল; কিয়নো বয়সীয়া মাইকী মানুহ আহিলে বিয়াখন ডেকা-বিয়া নহৈ নামে কামে বুঢ়া বিয়া হব। হৈ-চৈ বৰ বেছি হব নালাগে। তেনে কৰিলে কাৰো ওজৰ-আপত্তি ন'থাকে, কাৰ্য্যও নিয়াৰিকৈ হৈ যাব। দৰাপক্ষ মান্তি হ'ল। কাৰ্য্যতো তেনেকুৱাই হ'ল।

বিয়াৰ দিনা বিয়ালৈ অহা ছোৱালীকেইজনীক খুৱাই-বুৱাই ৰং-ধেমালিত মত্ত ৰাখি যুৱকসকলৰ এজনে গৈ চিকুণকৈ ডাঢ়ি গোঁফ খুৰাই কন্যা সাজিলে; ওৰণি লৈ বিয়াত বহিল আৰু বিয়াৰ পিছত পতি-গৃহলৈ যাত্ৰা কৰিলে। তেওঁ লগতে কাপোৰৰ ভাঁজত ডাঢ়ি-গোঁফ একোচাও লৈ গ'ল। যুৱকসকলৰো আঠ-দহজন দৰাপক্ষৰ লগতে দৰাঘৰলৈ গ'ল।

দৰাঘৰত লগুনো কাম হৈ গলত অন্যাক ঘৰত প্ৰবেশ কৰাই ৰখা হ'ল। কন্যাই তেতিয়া ছেগ বুজি শৌচাচাৰৰ অজুহাত দেখুৱাই এবাৰ বাহিৰলৈ গ'ল। বাহিৰত চল চাই থকা যুৱকসকলৰ এজনে কন্যাক গোপনে নি এটা হাফ-পেণ্ট আৰু এটা হাফ-চাৰ্ট দিলে। তেওঁ সেই

দুটা পিন্ধি লৈ, কাপোৰৰ আঁৰত লুকাই ৰখা ডাড়ি-গোঁফ কোনোৱে পিন্ধি উভতি আহিল সভ্য-ভব্য মতা লোক এটা হৈ। সকলোৱে দেখি অবাক। 'অন্য দিনা বলিব দেখ' গৰ্গ যদু গলি আজিৰ কলিয়ে দেখো হালে খলখলি' হ'ল। চাৰিওফালে হুল-স্থুল লাগিল। সেই হুল-স্থুলৰ মাজতে আগতে পাতি থোৱা মতে যুৱকইতে কন্যাক লৈ পলায়ন কৰিলে।

ঘটনাটো চাৰিওফালে সদৰি হলত ল'ৰা-বুঢ়া সকলোৱে বং-ৰহইচ আৰু আমোদ আনন্দৰ পাৰ নাইকিয়া হ'ল। বুঢ়া পণ্ডিত সেই দিনাই নিৰুদ্দেশ হ'ল। তেওঁ এতিয়াও ওলোৱা নাই। ক'ত আছে বিধিয়েহে জানে। গাঁৱৰ দুষ্ট ডেকাবোৰে কয়, বুঢ়া পণ্ডিতে ছদ্মবেশত আকৌ কন্যা বিচাৰি ফুৰিছে। ইও একপ্ৰকাৰ প্ৰজাপতিৰে নিৰ্ব্বন্ধ!

পুৰুষৰ যুগ যুগ ধৰি চলি অহা প্ৰাধান্যই এনে বুঢ়া-বিয়াৰ কাৰণে দায়ী। ত্ৰিশ পচিশ টকাৰ পুলিচৰ চাকৰিটোৰ কাৰণেও লাগে স্বাস্থ্যৰ চাৰ্টিফিকেট, বুকৰ ছাতিৰ মাপ, ওখই কিমান, বয়স কিমান ইত্যাদি বিষয়ৰ তন্ন তন্ন হিচাপ, কিন্তু বাছি বিচাৰি নিৰ্ব্বাচন কৰা ছোৱালী এজনীয়ে তেওঁৰ জীৱনৰ চিৰসঙ্গী পতি সম্পৰ্কে হলে একো নাজানিলেও হয়। ঠিকেই কথা— 'জোৱায়ে নিলেও নিষা, যমে নিলেও নিয়া!'

অন্য ফালেদি ছোৱালীৰ বিষয়ে কিন্তু দৰাই সকলো কথা জানিব লাগিব। ছোৱালীৰ দেহ-ৰূপ, চলন-ফুৰণ, গুণ-গৰিমা সকলো দৰাৰ মনঃপুত হব লাগিব। কি চমৎকাৰ বিধান!

চীন দেশৰ পৰিব্ৰাজক হিউৱেন চাঙৰ বৰ্ণনাত এটা মনোহৰ কাহিনী আছে। তেওঁ ভাৰত ভ্ৰমণ কৰিবলৈ অহা সময়ত কান্যকুব্জ সম্পৰ্কে এটা আখ্যান মানুহৰ মুখে মুখে চলি আছিল। আখ্যানটো এই।—মহাবৃক্ষঋষি নামে এজন ঋষি আছিল। তেওঁ গঙ্গাৰ তীৰত তপস্যা কৰিছিল। অনেক বছৰ তপস্যাত মগ্ন থাকোতে তেওঁৰ মূৰ আৰু কান্ধৰ ওপৰত গছ গজিছিল। তেওঁৰ শৰীৰ ভেদ কৰি গজি ডাঙৰ হোৱা এজোপা বিশাল গছে হেনো তেওঁক আশ্ৰয় আৰু ছাঁ দান কৰিছিল। সেইবাবে তেওঁৰ নামেই হৈছিল মহাবৃক্ষঋষি।

তপস্যাৰ অন্তত ঋষিয়ে এদিন ৰাজকন্যা এগৰাকীক নদীৰ পাৰত ফুৰিবলৈ অহা দেখিলে। তেওঁৰ সংসাৰ কৰিবৰ মন গ'ল। ৰজাৰ ওচৰত

তেওঁ নিজৰ অভিলাষ কৈ ৰাজকন্যা এশ গৰাকীক বিয়া কৰিবলৈ প্ৰস্তাৱ দিলে। ৰজায়ো জীয়েকহঁতৰ সম্মতি লৈহে ঋষি ঋষিক বিয়াৰ দিন জনাব বুলি কৈ বিদায় দিলে।

ৰজাৰ সুমলীয়া জীয়েকহঁত বাহিৰে বাকী কোনো জনীয়ে জঁটীয়া মুনিৰ লগত বিয়া সোমাবলৈ সন্মত নহ'ল। ভয়ে ভয়ে ৰজাই গৈ মুনিৰ আগত সকলো কথা কৈ তেওঁৰ সুমলীয়া জীয়েকক বিয়া কৰাবলৈ তেওঁক অনুৰোধ কৰিলে। ঋষি খঙত জ্বলি উঠি কলে—'সেই আকৰী আজলীহঁতনীকহে মোলৈ যাচিলা! বাকী ৰূপহী আৰু গুণৱতী কেইজনীৰ ইমান অহঙ্কাৰ হ'ল নে? বাৰু সিহঁত আজিৰ পৰাই বুজা হওক। বেটীহঁতৰ ৰূপত ঘূণে ধৰক। ঋষিক অৱজ্ঞা কৰাৰ সেকা পাওক।'

ঋষিৰ বাক্য বিফলে নগ'ল। ৰজাৰ নিৰানব্বৈজনী জীয়েকেই সেই মুহূৰ্তৰে পৰা বুজী হ'ল। ঋষিয়ে ৰজাৰ ধুনীয়া ছোৱালীবোৰক বিয়া কৰাবলৈ নাপাই শাপ দি কুজী কৰিছিল কাৰণে পিছত সেই ঠাইৰেই নাম হৈছিল কন্যাকুব্জ বা কান্যকুব্জ। এই কাহিনীৰ অন্তৰালতো আছে পুৰুষৰ দম্ভপূৰ্ণ লোলুপতা!

(৩)

দাম্পত্য জীৱনত দৰা-কন্যাই এটা কথা বিশেষকৈ মনত ৰখা উচিত যে তেওঁলোকৰ দুয়োৰো স্বকীয় স্বাৰ্থ গৈ বিয়াৰ লগে লগে এক উভয়তীয়া স্বাৰ্থত পৰিণত হব লাগে। এৰা-ধৰাৰ মাজেদি জীৱনৰ পূৰ্ণতা লভিবলৈ দুয়ো যত্নপৰ নহলে বিয়াৰ সৌন্দৰ্য্য আৰু বৈবাহিক জীৱনৰ সুখ সম্ভোগ সকলো অন্তৰ্হিত হয়।

যেতিয়ালৈকে দৰা-কন্যাৰ দুয়ো দুয়োকো সম্পূৰ্ণৰূপে চিনি নাপায়, এজনৰ শৰীৰৰ অৱয়ৱ, অঙ্গ-প্ৰত্যঙ্গাদি অন্যজনৰ কাৰণে ৰহস্যাবৃত থাকে, তেতিয়ালৈকে দুয়ো দুয়োৰো কাৰণে আকৰ্ষণৰ বস্তু হৈ থাকে আৰু দুয়োৰো কাৰণে দুয়ো আকৃষ্ট হয়। যেতিয়া সেই ৰহস্য ক্ৰমে আঁতৰি যায়, দুয়োকো দুয়ো অঙ্গে অঙ্গে চিনি উঠে, যৌৱনৰ ক্ষুধাই তৃপ্তিৰ মাজেদি আত্মতুষ্টি লাভ কৰে তেতিয়া আৰু সেই অন্ধ মাদকতা নাইকিয়া হয়। তন্মুহূৰ্ত্তৰপৰাই মনৰ মিলনৰ মাজেদি বিয়াৰ মিলন স্থায়ী কৰিবলৈ দুয়ো যত্নপৰ হোৱা দৰকাৰ।

স্বামী-স্ত্ৰীৰ মিলন আৰু প্ৰেম সৰ্ব্বতোভাৱে পাৰস্পৰিক হোৱা প্ৰয়োজন। ই অকল এক পক্ষৰ বস্তু নহয়। পুৰুষে স্বভাৱতে স্বাধীনভাৱে নাৰীসকলৰ লগত মিলা-মিছা কৰিবলৈ ভাল পায়। তাকে কৰিলেই যদি পত্নীৰ সন্দেহৰ আবিৰ্ভাৱ হ'লেই দুয়োৰো মাজত মতানৈক্য আৰু কন্দলৰ সৃষ্টি হয়। কিয়নো ঈৰ্ষা প্ৰেম-গোলাপৰ কণ্টক স্বৰূপ। ই নাৰীৰ অন্তৰত অতি সহজে উদয় হয়।

আন ফালে আকৌ জ্ঞান-বৃক্ষৰ ফল খাই সৃষ্টিৰ বিধি ভঙ্গ কৰি সৃষ্টিৰ প্ৰথমা নাৰী ইভেই পোনতে স্বৰ্গ হেৰুৱাইছিল। গতিকে স্বামীয়েও যদি কাৰ্য্যত—'একে গছৰ পাত, সি কি হব আন'—বুলি ভাবে তেতিয়া ঘোৰ সমস্যাৰ সৃষ্টি হব। নিভৃত স্থানৰ গোপন কাৰ্য্যৰ ক্ষেত্ৰত লোৱাত ইভেৰ দিনৰপৰাই নাৰীয়েই আগভাগ গ্ৰহণ কৰি আহিছে। গতিকে গোপন পিৰীতিৰ ক্ষেত্ৰতো তেওঁ যদি প্ৰতিযোগিতা চলায় তেতিয়া পৰাজয় কাৰ হব ভাবিবলগীয়া। তেতিয়া ঘৰুৱা যোজনা দি হয়তো কব লাগিব, দেখা যাওক 'কাৰ মাকে কেইটা সাজ খায়, কাৰ মাক লঘোনে যায়'। এনে বিপদৰ হাত সাৰিবলৈ দুয়ো পক্ষ সংযম হব লাগে।

সন্দেহ আৰু অবিশ্বাস দাম্পত্য প্ৰেমৰ ঘোৰ অন্তৰায়। এনে সন্দেহে মনৰ সুখ নাইকিয়া কৰি গৃহবাসক বনবাসত পৰিণত কৰে। তাৰ উদাহৰণ অনেক পোৱা যায়। এনে সন্দেহত বেঁচু খান্দোতে কেতিয়াবা সাপ পোৱাৰো কাহিনী শুনা যায়। তেনেকুৱা এটা কাহিনী শুনক—।

এজন অধ্যাপকৰ কথা। তেওঁ জীৱনৰ আগছোৱাত পৰৰ ঘৰত অৰ গাবে খাই-বৈয়ে কটালে। যেতিয়া বয়স প্ৰায় ভাটী দিলে, তেতিয়া তেওঁ ৰবধৰকৈ এগৰাকী পূৰ্ণ ছাত্ৰীৰে পাণিগ্ৰহণ কৰি হাড় শুচি কৰিলে।

তেওঁ কাম কৰা কলেজৰপৰা থকা ঘৰ আধা মাইলো নহয়। তেওঁ ছেগ বুজি কেতিয়াবা কেতিয়াবা কলেজৰপৰা নিজ বহালৈ একোপাক আহি যায়। উদ্দেশ্য, পত্নীৰ আলেখলেখ লক্ষ্য কৰা; অৰ্থাৎ পত্নীয়ে ভাই বহিয়ে কটায় নে কাৰবাৰ লগত গল্প-গুজৱতে মজি থাকে, তাকে চোৱা। মনৰ টানতকৈ সন্দেহৰ মাত্ৰাই তাত বেছি।

এদিনৰ কথা। অধ্যাপকে হাততঃসাবে ভৱিত-সাবে আহি দেখে, তেওঁৰ মনোৰমা পত্নীয়ে দুৱাৰমুখত বহি ঘৰৰ ভিতৰলৈ মুখ কৰি পিৰিত

মহীয়া ৰ'দ লগাই উপন্যাস পঢ়ি আছে। অধ্যাপকে ৰহস্য কৰিবৰ কাৰণে মনে মনে গৈ পিছফালৰপৰা বৈণীয়েকৰ চকুত তালকৈ ধৰিলে। আগে পিছে তেওঁ কেতিয়াও তেনে নকৰে। বৈণীয়েকে কৰিলে কি? তেওঁ খিল্ খিলকৈ হাঁহি দি কলে—'জানিছোঁ তুমি কোন! তুমি সেই দুষ্ট পুতুলৰা। আগে যি কৰিছিলোঁ কৰিছিলোঁ, এতিয়া মই কিন্তু সেইবোৰ এৰি দিছোঁ। চাওঁ, এৰি দিয়া। মানুহে দেখিলে দুয়ো মৰিম্। আগৰ কথাও ওলাই পৰিব।—'

প্ৰেয়সী পত্নীৰ এনে বচন শুনি অধ্যাপকৰ হাত আপোনা আপুনিয়ে খোল খালে। দুয়ো দুয়োলৈ চাই তেনেই শিলপৰা কুপতীৰ দৰে হ'ল। কাৰ্য্য আৰু কল্পনাৰ মানসী প্ৰিয়াক সাধনাত পায়ো যেন অধ্যাপকে আজি হাতত হেকুৱালে!

(৪)

স্বামী-স্ত্ৰীৰ মাজত খুট্-খাট সৰু-সুৰা কাজিয়া লাগি নাথাকিলে জীৱনৰ বৈচিত্ৰ্যই নাইকিয়া হয়। জলকীয়াৰ জালে খাওঁতাৰ মুখৰ তৃপ্তি বঢ়োৱাৰ দৰে তেনে ধৰণৰ পতি-পত্নীৰ মাজত হোৱা কন্দলবোৰেও জীৱনৰ মাধুৰ্য্য বঢ়ায়। মাত্ৰ তাৰ মাত্ৰা পাৰ হৈ যাব নালাগে। মাটিৰ বাচন গঢ়া কুমাৰসকলৰ ভিতৰত এটি বদ্ধমূল বিশ্বাস এই যে বাচন পাগ দিবৰ সময়ত তেওঁলোকৰ মাজত যিমানে বাক্য যুদ্ধৰ কোব চৰে, সিমানে বাচন ভালকৈ পাগত উঠে। বাহিৰৰপৰা কিন্তু তিৰোতাসকলৰ মাজত হোৱা এই দন্দখন শুনিলে লোকে ভাবিব, আজি এই গাঁও উছন হব। ইও পতি-পত্নীৰ কাজিয়াৰ দৰে এক প্ৰকাৰ অজা-যুদ্ধ। ভোবোলা ছাগলী দুটাই আকাশলৈ জাপ দি শিঙে শিঙে যুজ কৰিবলৈ যি আড়ম্বৰ দেখুৱায়—কাৰ্য্যত কিন্তু তাৰ 'লঘু ক্ৰিয়া' হে দেখা যায়, : দুয়ো লাহেকৈ শিং দুটা লগাই দি পুনঃ জাপ দিয়ে। এনে ধৰণৰ কাজিয়াৰ মাজেদি পতি-পত্নীৰ সংসাৰখনত কেতিয়াবা আঁকো অভিমান বোলা পলবীয়া তাৰ এটিৰ সৃষ্টি হয় আৰু সেয়ে দুয়োকো মাজত আকৰ্ষণ-বিকৰ্ষণৰ লুকাভাকু আৰম্ভ কৰি দিয়েহি। সেই কাৰণেই অভিমানক প্ৰণয়ৰ কপাহৰ সোলা বোলা যায়। ৰাধাৰ মান-ভঞ্জনৰ

যাত্ৰা-ভাওনা দেখিলে কৃষ্ণলৈও পুতৌ লাগে, ৰাধালৈও ঈৰ্ষা হয়। প্ৰণয়ৰ এনে অভিমানক মেঘৰ গৰখীয়া-ছাঁ বুলিব পাৰি। গৰখীয়াবোৰে মাজ পথাৰত গৰু চাৰি থাকোঁতে ক'তো ছাঁ অকণো নাপাই ৰ'দৰ তাপত ক্লিষ্ট হৈ পৰে। এনে সময়ত ক'ৰবাৰ বাট হেৰুৱাই উৰি অহা মেঘে বেলিটো খন্তেকৰ কাৰণে ঢাকি ধৰিলে গৰখীয়াবোৰৰ মনত অপাৰ আনন্দ হয়। এই ছাঁৰ নামেই হৈছে গৰখীয়া-ছাঁ। গৰখীয়া-ছাঁ কিন্তু খন্তেকীয়া বস্তু, ছাটি কৰে আহি সি চাওঁতে চাওঁতেই উৰি গুচি যায়। অভিমানো দাম্পত্য জীৱনত গৰখীয়া-ছাঁ মাত্ৰ।

দাম্পত্য জীৱনত পাৰিপাট্য আৰু উৎসাহ পুৰুষৰ কাৰণে যিদৰে প্ৰয়োজনীয়, প্ৰসাধন নাৰীৰ কাৰণে সেইদৰে আৱশ্যকীয়। কাৰণ পুৰুষে পত্নীক সদায় ৰূপহী ৰূপত দেখি তৃপ্তি পায়। এনে পুৰুষ নাই যি তেওঁৰ প্ৰেয়সী পত্নীৰ মনোহৰ আৰু আৰু নিপোটল ৰূপটো দেখি উলাহ নাপায়।

সুন্দৰ সদায় সুন্দৰেই আৰু তাৰ প্ৰসংসা সকলোৰে মুখত ওলাবই। কথা হ'ল এতিয়া নিজৰ পত্নীৰ আগত পৰৰ তিৰোতাৰ ৰূপ-গুণ বখানা উচিত নে অনুচিত। তাহানি আমাৰ অধ্যাপক পি. চি. ৰায়ে এটা গল্প কৈছিল। তেওঁ এদিন নিজৰ পত্নীক মটৰত তুলি লৈ ফুৰিবলৈ যাওঁতে এঠাইত অন্য এখন মটৰ গাৰীত তেওঁৰ পুৰণি ছাত্ৰ এজনক অহা দেখিলে আৰু মটৰ ৰাখিলে। পুৰণি ছাত্ৰজনৰ লগত তেওঁৰ নৱ-বধূ আছিল। ছাত্ৰজনে তেওঁৰ পত্নীৰ লগত অধ্যাপক ৰায়ক চিনাকি কৰি দিলত ৰায়ে হেনো ছোৱালীজনীৰ ৰূপ ৰবকৈ বখানিলে আৰু বিদায় লৈ গন্তব্য স্থান পালেগৈ। গধুলি ঘূৰি আহি ঘৰ পোৱাত বোলে অধ্যাপক ৰায় আৰু তেওঁৰ পত্নীৰ মাজত ঘোৰ তৰ্ক-বিতৰ্ক হৈছিল—পৰৰ তিৰোতাক অধ্যাপক ৰায়ে তেনেকৈ বখানা উচিত হৈছিল নে, তাকে লৈ। অধ্যাপক ৰায়ে পিছত আমাক কৈছিল—'মই আজিও বুজিব পৰা নাই, মই সেইদিনা কি অপৰাধ কৰিছিলোঁ। ৰূপৰ প্ৰশংসা কৰাত মোৰ জানো দোষ হৈছিল? মই বখানিছিলোঁ হয়, লোভ কৰাতো নাছিলোঁ।'—কথা আমাৰ আজিও আমাৰ মনত আছে। নাৰীয়ে অন্য নাৰীৰ প্ৰশংসা অন্তৰেৰে সহিব নোৱাৰে।

(৫)

শিৱ-পূজা কুমাৰী সকলৰ বৰ প্ৰিয়। কিয়নো শিৱৰ কৃপা বা বৰ লভিলেহে হেনো সুলক্ষণ ভোলানাথ পতি পোৱা যায়। তেনে পতিক পাবৰ কাৰণে পাৰ্ব্বতীয়ে উগ্ৰ তপস্যা আৰম্ভ কৰিব লাগিছিল। তাৰ বৰ্ণনা অন্য ঠাইত দিয়া হৈছে। আজিৰ যুগত বহুত নাৰীয়ে তপস্যাৰ পৰিবৰ্ত্তে প্ৰসাধন, বাক-চাতুৰ্য্য, দৃষ্টি-বিনিময়, পত্ৰ বিনিময়, হাস্য লাস্য আদিৰ জৰিয়তে পতি ধৰিবলৈ খেদা-চিকাৰ আৰম্ভ কৰে আৰু তাতে কেতিয়াবা কৃতকাৰ্য্য হয়, কেতিয়াবা জাল ফালি চিকাৰ পলায়। অন্য দিনেদি আকৌ ধুনীয়া ছোৱালী ধৰিবৰ কাৰণে ঢেৰ টকা-পইচা খৰচ কৰি হৃতসৰ্ব্বস্ব হৈ শেহত বৈৰাগী হোৱা পুৰুষৰ উদাহৰণো অনেক আছে। গুৱাহাটীতে তেনেকুৱাকৈ খৰচান্ত হোৱা এজন ধনী যুৱকৰ হাতত আজিও হেনো মনিঅৰ্ডাৰৰ ৰচিদৰ এটোপোলা আছে। সেইবোৰ মাজে সময়ে চাই তেওঁ বোলে আজিও লোকে নেদেখাকৈ চকুলো মচে।

ভালকৈ ঘূৰাই-ঘূৰাই, ভালকৈ আল-পৈচান ধৰি, মধুৰ-আলাপ-আলোচনাৰে মন ঘূৰাই লৈ পতিৰূপৰ মনোনীত কাৰ্য্য সিদ্ধি কৰি লব পৰাটো চতুৰী তিৰোতাৰ লক্ষণ। প্ৰেমৰ তত্ত্ব ধৰ্ম্মৰ তত্ত্বৰ দৰেই ৰহস্যাবৃত। ইয়াৰ বিধি সকলোৰে ক্ষেত্ৰতে একে নহয়। ব্যাধি অনুযায়ী মকৰধ্বজৰ অনুপান বিভিন্ন হোৱাৰ দৰে পাত্ৰভেদে ইয়াৰো বিধি সুকীয়া হয়। আগৰবি ৰুচি-জ্ঞান লাভ কৰি সেইমতে প্ৰীতিকৰ উপাদানৰ দ্বাৰা আল-পৈচান ধৰিলেহে প্ৰেমৰ পূজাত সাৰ্থকতা লাভ কৰা যায়। এইটো জনা কথা যে ফুলেৰে দেৱতাৰ পূজা কৰা হয় যদিও, সকলো ফুল সকলো পূজাত নালাগে। শনিক ৰঙা ফুলেৰে পূজা কৰা যায়; লক্ষ্মী-পূজাত আকৌ শুক্ল পুষ্পহে প্ৰয়োজন। মানুহৰ ক্ষেত্ৰতো তেনেকুৱা। ভিন্ন ৰুচিৰ লোকক ভিন্নৰূপে তুষ্ট কৰা যায়। পতি-পত্নী দুয়ো গাৰ্হস্থ্য ধৰ্ম্ম পালন কৰোঁতে দুয়োৰো ৰুচি আৰু প্ৰবৃত্তি বুজি দুয়োকো দুয়ো তুষ্ট কৰি চলিব লাগে। তেতিয়াহে গাৰ্হস্থ্য ধৰ্ম্ম সাৰ্থক হয়।

আদৰ্শৰ পিছা ফুকাই প্ৰেমিক প্ৰেমিকাই বিষাদে মন নাবাভক বোলে —
'অভিসাৰী প্ৰেম, বিলম্বিত প্ৰেম, [illegible], নাহি [illegible]'—[illegible]

প্ৰেম বা গাৰ্হস্থ্য ধৰ্ম্মৰ প্ৰেম সদায়ে কাম-গন্ধ বৰ্জ্জিত হৈ থাকিব। অবান্তৰ প্ৰেম বা প্লেটনিক প্ৰেমৰ পূজাৰীয়ে প্ৰেমাস্পদৰ স্পৰ্শ বাদ দি স্মৰণ মাত্ৰতে তৃপ্ত থাকি বিবাহ-বন্ধনক কেতিয়াবা প্ৰেমৰ মৃত্যু বুলিয়ে-আখ্যা দিব খোজে। গাৰ্হস্থ্য ধৰ্ম্মই কিন্তু প্ৰমাণ কৰে যে প্ৰেমৰ চৰম সাৰ্থকতা মিলন-নতহে। সেয়ে নহলে সৃষ্টি ৰহস্যতে লীন হৈ ৰহস্যাবৃত হৈয়ে থাকিব। বন্ধ্যা নাৰীৰ হাতে সন্ন্যাসীয়েও ভিক্ষা নলয়। বৰং প্ৰেমৰ পূজাৰীৰ হাতেও গাৰ্হস্থ্য ধৰ্ম্মৰ ভক্তসকলে প্ৰসাদ গ্ৰহণ নকৰে।

—•—

নাৰীৰ ভাৰতীয় আদৰ্শ

পৃথিৱীৰ সকলো ঠাইৰ নাৰী-জীৱনৰ আদৰ্শ একে নহয়। পাশ্চাত্যৰ দেশবোৰত নাৰীয়ে জীৱনৰ সকলো ক্ষেত্ৰতে পুৰুষৰ লগত সহযোগিতা কৰাৰ উপৰিও ঘৰকাৰ মতে প্ৰতিযোগিতা কৰে। অনেক ক্ষেত্ৰত নাৰীৰ নেতৃত্বতে পুৰুষ পৰিচালিত হয়। বহুত ঠাইত ঘৰখন পৰিচালনা কৰাৰ যাই দায়িত্বও থাকে তিৰোতাৰ ওপৰত। ভাৰতীয় নাৰীয়ে কিন্তু সংসাৰ যাত্ৰাত সদায় স্বামীৰ প্ৰভুত্ব মানি চলি আহিছে। অনেক সময়ত ই যেন তেওঁৰ স্বেচ্ছাকৃত কাম নহয়, আবহমান কালৰপৰা চলি অহা ৰীতিৰ তেওঁৰ ওপৰত পৰা এটা দুৰপনেয় চাপহে। সেয়েহে কোৱা হয়— 'হাজাৰে লাউ ডাঙৰ নহওক তেও পাতৰ তল'। মানুহৰ মুখত এইদৰেও শুনা যায় যে যিমানেই ওখ তিৰোতা নহওক, তথাপি বিয়াৰ দিনাখন তেওঁ হেনো দৰাতকৈ চাপৰ হবই হব। জনশ্ৰুতিমতে হলংৰ হলীৰামে হেনো নাঙলেৰে হেঁচি কন্যাক বিয়াৰ দিনা দৰাতকৈ চাপৰ হবলৈ বাধ্য কৰে। তেতিয়াৰ-পৰাই পত্নী পতিৰ বশ হয়। যি কাৰণেই নহওক, পত্নীয়ে পতিৰ ওচৰত বশ্যতা স্বীকাৰ কৰি চলে কাৰণেই ভাৰতীয় লোকৰ ঘৰত কন্দলৰ পৰিমাণ কম। পতি-পত্নীৰ মাজত অবাঞ্ছিত পৰিস্থিতিও কমেই ঘটে। বিবাহ-বিচ্ছেদ অতিশয় বিৰল। পাশ্চাত্যত পতিৰ ওপৰত পত্নীৰ যি প্ৰভাৱ, তাক সেই অৰ্থত ভাৰতীয় জীৱনত পাবলৈ টান। ভাৰতীয় জীৱনত পত্নী সদায় পতিৰ সহচৰী আৰু সৌহাত স্বৰূপ। ভাৰতবৰ্ষত পুৰুষৰ জীৱনত মাতৃৰ প্ৰভাৱ আৰু পত্নীৰ সাহায্যৰহে বিস্তৰ পটন্তৰ পোৱা যায়।

নীতিজ্ঞান, বিশেষকৈ যৌন জীৱনৰ সমাজ-নীতি সদায় পৰিবৰ্তনশীল। স্থান আৰু কালৰ ব্যৱধানত ইয়াৰ প্ৰভূত পৰিবৰ্তন ঘটে। বাইবেল ৰচিত হোৱা সময়ত ইহুদীসকলৰ সংখ্যা আছিল তেনেই তাকৰ। তাতে বিপুল অৰ্থ-সম্পত্তিৰ মালিক হোৱা কাৰণে তেওঁলোকৰ ওপৰত সবাৰো নজৰ আছিল তীক্ষ্ণ। সেই হেতুকেই আত্মৰক্ষাৰ কাৰণে তেওঁলোকে নিজৰ জাতি-

কুটুম্বৰ সংখ্যা বৃদ্ধি কৰিবলৈ বহুপৰিয়ৰ হব লাগিছিল। কাজে কাজে ইহুদী সমাজত সেই কালত তেওঁলোকৰ জনসংখ্যা বৃদ্ধিত বাধা জন্মোৱা যি কোনো ব্যৱস্থা নীতি-বিৰুদ্ধ, ধৰ্ম-বিৰুদ্ধ আৰু আইনবিৰুদ্ধ কাম বুলি পৰিগণিত হৈছিল। ফলত পৰিয়াল-পৰিকল্পনা অকল নিষিদ্ধই নাছিল, পাপপূৰ্ণ জঘন্য কাম হিচাপে ঘৃণনীয়ও আছিল।

সেই একে কালতে আৰু পূৰ্ব্বৰেপৰা গ্ৰীচত পৰিকল্পনাহীন জনবৃদ্ধি সৰ্ব্বতোভাৱে নিষিদ্ধ ধৰ্ম বুলি ধৰা হৈছিল। তাৰ যাই কাৰণ এই যে গ্ৰীচৰ সৰু সৰু দ্বীপবোৰত ঠাই আছিল তেনেই তাকৰ। মানুহৰ সংখ্যা অযথাভাৱে বৃদ্ধি পালে শীঘ্ৰেই ঠাইৰ নাটনি হব আৰু তাৰেই ফলত দেশত দুৰ্ঘোৰ অভাৱ-অনটনে দেখা দিব—এয়ে আছিল তাত সকলোৰে আশঙ্কা। সেইবাবে জনসংখ্যা বৃদ্ধিত বাধা দিবলৈ সকলোৱে দেখাদেখিকৈয়ে যত্নপৰ হৈছিল। তাৰে অৱশ্যম্ভাৱী ফলস্বৰূপে গণিকা বৃত্তিৰ বহুল প্ৰচাৰৰ ঘৰে নানান ব্যাভিচাৰে সমগ্ৰ সমাজ তেনেই ছাটি পেলাইছিল।

ভাৰতবৰ্ষ কিন্তু উৰ্ব্বৰা দেশ। শস্যশ্যামলা বিস্তীৰ্ণ সমভূমিৰে ই ভৰপুৰ। সেইবাবে জনসংখ্যা বৃদ্ধিয়ে ইয়াত কেতিয়াবা গৈ যে এটা স্বকীয়া সমস্যাৰ সৃষ্টি কৰিব তাক আগতে সাধাৰণতে কোনেও ভাবিব পৰা নাছিল। সেই হেতুকেই সৌ সিদিনালৈকে ভাৰতত জনসংখ্যা বৃদ্ধিত বাধা দিবলৈ কৰা যিকোনো প্ৰচেষ্টাকে গহিত কাম বুলি গণ্য কৰা হৈছিল। 'কত জন্মৰ পুণ্যে পুত্ৰৱতী নাৰী; কত জন্মৰ পুণ্যে তামোল-পাণৰ বাৰী'—এয়ে আছিল মানুহৰ বদ্ধমূল ধাৰণা।

(২)

হিন্দুসকলৰ মহাকাব্য ৰামায়ণ আৰু মহাভাৰতৰো অনেক আখ্যানে প্ৰমাণ কৰে যে সেই কালত সন্তানোৎপাদনেই আছিল বিবাহিত জীৱনৰ মুখ্য উদ্দেশ্য। আনকি নিঃসন্তান লোকে পৰজন্মত নিজেও শান্তি নাপায় আৰু পূৰ্ব্বপুৰুষসকলৰো মুক্তিৰ পথ বন্ধ কৰে বুলি সকলোৰে ধাৰণা আছিল। মহাভাৰতত আছে, জৰৎকাৰু মুনিয়ে তপস্যাৰ অন্তত পৰ্ব্বতে কন্দৰে ঘূৰি ফুৰোঁতে এদিন দেখিবলৈ পালে যে এজোপা তকান গছত

কিছুমান দুৰ্ভগীয়া প্ৰাণীয়ে তলমূৰকৈ ওলমি পৰিত্ৰাণৰ কাৰণে কাতৰভাৱে কান্দিব লাগিছে। একেই শুকান গছ, তাতে আকৌ তাৰ শিপাবোৰ পোকে খাব লাগিছে। তাকে দেখি মহাতপা জৰৎকাৰু মুনিৰ মনত পুতৌ উপজিল। তেওঁ সেই প্ৰাণীবোৰৰ ওচৰলৈ গৈ কলে—'তোমালোক কোন আৰু কিয় এই অৰণ্যৰ মাজত এনেকৈ কষ্ট খাই বিনাব লাগিছা? মই জানো তোমালোকৰ কিবা উপকাৰ কৰিব পাৰোঁ? মই তপস্বী মানুহ। লাগিলে মই মোৰ কঠোৰ তপস্যাৰ দ্বাৰা যিকণ পুণ্য অৰ্জ্জন কৰিছোঁ—তাৰ এক-চতুৰ্থাংশ অথবা আধা, নাইবা লাগিলে সকলোখিনি পুণ্য দান কৰি হলেও তোমালোকক নিস্তাৰ কৰিবলৈ ৰাজি আছোঁ, কোৱা, সেয়ে হব নেকি?

দুৰ্ভগীয়া প্ৰাণী কেইটাই কাতৰভাৱে কলে—'পুণ্যৰ আমাৰ প্ৰয়োজন নাই। আমিও প্ৰত্যেকে একোগৰাকী প্ৰখ্যাত তপস্বী আছিলোঁ। তথাপি আমি আজি এই অৱস্থা পাইছোঁ—কাৰ কাৰণে জানানে? তোমাৰ কাৰণে! তোমাৰ আমি পূৰ্ব্বপুৰুষ। তুমি বিয়া নকৰোৱা কাৰণে তোমাৰ সতি-সন্ততি সংসাৰত নাইকিয়া হ'ল। তাৰেই ফলত লুপ্ত-পিণ্ডোদক হৈ আমি আজি এইদৰে ওলমিব লাগিছোঁ। বিয়া কৰাই, সংসাৰ কৰি তুমি সন্তানোৎপাদনৰ দ্বাৰা ইচ্ছা কৰিলে আমাক পৰিত্ৰাণ কৰিব পাৰা।'

জৰৎকাৰু মুনিয়ে তেতিয়া পিতৃ পিতামহসকলক উদ্ধাৰ কৰিবৰ উদ্দেশ্যে সংসাৰত প্ৰৱেশ কৰিলে। তেওঁ সৰ্পকন্যা বাসুকীৰ ভগ্নী মনসা দেৱীক বিয়া কৰালে আৰু তেওঁৰ পৰাই আস্তিক মুনিৰ জন্ম হোৱাত সৰ্পকুল ৰক্ষা পৰিল।

নিঃসন্তান হৈ থকা কালত পাণ্ডুৱেও এদিন এইদৰে খেদ কৰিছিল—মানুহে জন্মৰ লগে লগে চাৰিটা ঋণ পৰিশোধ কৰিব লগীয়া হয়, যেনে, পিতৃ-ঋণ, দেৱ-ঋণ ঋষি-ঋণ আৰু জ্ঞাতি-ঋণ। যাগ-যজ্ঞৰ দ্বাৰা দেৱ-ঋণ, বেদাদি অধ্যয়নৰ দ্বাৰা ঋষি-ঋণ, দান দক্ষিণাৰ দ্বাৰা জ্ঞাতি ঋণ আৰু পুত্ৰোৎপাদনৰ দ্বাৰা পিতৃ-ঋণ পৰিশোধ কৰা যায়। মই পুত্ৰহীন হৈ পিতৃঋণৰপৰা পৰিত্ৰাণ পাম কেনেকৈ? পিছত নিয়োগ প্ৰথাৰ দ্বাৰা তেওঁ অৱশ্যে যুধিষ্ঠিৰাদি পঞ্চ পাণ্ডৱৰ পিতৃত্ব লভি সেই ঋণৰপৰা মুক্তি লাভ কৰিলে।

বহুপুত্ৰ লাভৰ কামনা সেই যুগৰ ৰজা, মহাৰজা আৰু আঢ্যৱন্ত লোকে কৰিছিল। মহাভাৰতত আছে—সোমক ৰজাৰ পত্নী আছিল এশ গৰাকী, কিন্তু পুত্ৰ মাত্ৰ এটা। সেইবাবে তেওঁৰ মনত বৰ বেজাৰ। এদিন তেওঁৰ

শিশু সন্তানটি সোণৰ পালেঙত শুই আছিল। এনেতে এটি পকৰাই শিশুটিৰ পিঠিত কামুৰি দিলে। শিশুই পকৰাৰ কামোৰত বিকল হৈ চিঞৰি উঠিল আৰু একেবাহে কান্দিবলৈ ধৰিলে। ৰাজমহিষীসকল নৰি আছিল। সকলোৱে ৰাজসভাৰপৰা উঠি উধাতু খাই শিশুৰ কাষ পালেহি। পকৰাটো গুচাই দিলত ল'ৰা শান্ত হ'ল। ৰজাই তেতিয়া উত্তেজিত হৈ পুৰোহিত ব্ৰাহ্মণক কলে—'ঋষিৰাজ, এটা পুত্ৰ হোৱাতকৈ নোহোৱাই ভাল। তাৰ চিন্তাত বাপেক-মাকৰ সুখ-শান্তি নাইকিয়া হয়। এনে কোনো উপায় নাই নে যাৰ দ্বাৰা বহুপুত্ৰ লাভ হয়?'

ঋষিয়ে কলে,—'উপায় আছে মহাৰাজ। এটা বিশেষ যজ্ঞৰ প্ৰয়োজন হব। তাত যদি আপুনি আপোনাৰ পুত্ৰটিক কাটি তাৰ চৰ্বিৰ ছাল হোমত আহুতি দিয়ে আৰু সেই যজ্ঞৰ ধোঁৱা আপোনাৰ ভাৰ্য্যাসকলে গোঙে তেনেহলে তেওঁলোকৰ প্ৰত্যেকে সেই ল'ৰাটিৰ দৰে পুত্ৰ-সন্তান লাভ কৰিব।'

ৰজা মান্তি হ'ল আৰু তেনেকৈ যজ্ঞ কৰি তেওঁ এশ পুত্ৰ লাভ কৰিলে। ঠিক তেনেকৈয়ে এদিন ৰজা শান্তনুৰো এটি মাত্ৰ পুত্ৰ থকাত সেই একে-দৰেই খেদ কৰিছিল! অগস্ত্য মুনিয়ে বহু প্ৰবন্ধে বিদৰ্ভ ৰজাৰ কন্যা লোপ-মুদ্ৰাক বিয়া কৰাইছিল। ৰাজকন্যা লোপমুদ্ৰাই বিয়াৰ পিছত স্বামীৰ কাৰণে সংসাৰৰ সকলো ভোগ-বিলাস ত্যাগ কৰিও পুত্ৰকামী হৈ ঋতুদান বিচৰাত মহামুনি অগস্ত্যই কৈছিল—'প্ৰিয়ে, তুমি কোৱা, তোমাক এটি পুত্ৰ লাগিবনে এশ লাগিবনে এহেজাৰ লাগিব? যি খোজা মই তাকেই দান কৰিম।' লোপমুদ্ৰাই অৱশ্যে এটিমাত্ৰ পুত্ৰ কামনা কৰিলে! অগস্ত্যয়ো তাকেই দিলে।

এইদৰে বংশবৃদ্ধিৰ কাৰণে আনকি যোগী-ঋষি সকলেও অতীত ভাৰতত যত্নপৰ হৈছিল। কালক্ৰমত যে এদিন জনসংখ্যা বৃদ্ধিয়ে গৈ এটি ভয়ংকৰ সমস্যা হৈ পৰিব, তাকো অৱশ্যে সেই কালৰ ঋষিসকলে একেবাৰে নজনাকৈ নাছিল। সেইবাবে তেওঁলোকে তেতিয়াই বিধি দি গৈছিল—বোলে কলি কালত বহু-পুত্ৰী নৰকী!

(৩)

পাশ্চাত্য জীৱনৰ লগত ভাৰতীয় জীৱনৰ অনেক পাৰ্থক্য। দুয়োটা জীৱনৰ আদৰ্শৰ পাৰ্থক্য কোনো কোনো ক্ষেত্ৰত স্বৰ্গ-মৰ্ত্যৰ ব্যৱধানৰ দৰে।

এটাৰ বিচাৰত যিটো উত্তম, আনটোৰ বিচাৰত সেইটো তেনেই নিকৃষ্ট। উদাহৰণস্বৰূপে হিন্দুমতে তেজৰ সম্বন্ধত বিয়া-বাৰু সম্পূৰ্ণৰূপে নিষিদ্ধ। অকল তেজ-মাংসৰ সম্বন্ধতে নহয়, সগোত্ৰৰ ভিতৰতে বিয়া কৰা নিষেধ। তাকে কৰিলে মানুহে সমাজৰ গৰিহণা পাব লাগে। ইংলণ্ডত বা আমেৰিকা আদি দেশত কিন্তু ভাই-ভতিজাজীৰ মাজত থকা তেজৰ সম্বন্ধৰ দৰে সম্বন্ধৰ ভিতৰত হোৱা বিয়া অতিশয় উত্তম বুলি পৰিগণিত হয়। তেনে সম্বন্ধৰ বিয়া তাত ভূৰি ভূৰি।

পুনৰ্বিবাহ, বিধবা-বিবাহ আদি কাৰ্য্য ভাৰতত কৰবাত কাচিতহে হয়। পাশ্চাত্যত হলে তেনে বিবাহৰো সংখ্যা অগণন। এনেকি এক গৰাকী নাৰীয়েই জীৱনত বিবাহ-বিচ্ছেদৰ যোগেদি অনেক পুৰুষৰ ধৰ্ম্ম-পত্নী হৈ পাশ্চাত্যত সুকলমে কাল কটাব পাৰে; ভাৰতত সি একপ্ৰকাৰ নাভূত-নাশ্ৰুত কথা।

ভাৰতীয় নাৰীয়ে শৰীৰৰ উন্মুক্ত অৱস্থা পছন্দ নকৰে। শাৰী বা ৰিহা-মেখেলাৰ যেৰপাকে তেওঁলোকৰ শৰীৰৰ সকলো অবয়ব ঢাকি ৰাখে। পাশ্চাত্যৰ নাৰীয়ে আকৌ শৰীৰৰ লোভনীয় অংশবোৰৰ সৌন্দৰ্য্য আকৰ্ষণীয়ভাৱে উন্মুক্ত ৰাখিহে আৰাম পায়। কলাফুলৰ ওপৰত উঠা দীঘল চোলাৰ সেইবাবেই তাত ইমান প্ৰচলন!

পৰ-পুৰুষৰ লগত হাঁহি-মাতি মুকলিমূৰীয়াভাৱে ফুৰাচকা কৰা ভাৰতীয় নাৰী সমাজত নিষিদ্ধ। পাশ্চাত্যত কিন্তু সি একো কথাৰ কথাই নহয়। মুঠতে পাশ্চাত্যৰ নাৰী-স্বাধীনতা আজিও ভাৰতত সম্পূৰ্ণৰূপে স্বীকৃত হোৱা নাই। ভাৰতীয় নাৰীয়ে সমাজসেৱাত বা দেশ-সেৱাত আত্ম-নিয়োগ কৰিবলৈ আগ বাঢ়িছে যদিও, নাৰী-স্বাধীনতা সীমাবদ্ধ হৈয়ে আছে আৰু ভৱিষ্যত-তলৈও থাকিব।

ভাৰতীয় লোকৰ দৃষ্টিত নাৰী শক্তি-ৰূপিণী, মাতৃ-স্বৰূপা। আনকি স্বয়ং ভগবানকো ভাৰতীয় লোকে মাতৃ বুলি সম্বোধন কৰি আৰু সেই ৰূপত পূজা সেৱা কৰিহে ভাল পায়। ভগবানৰ শক্তিয়ে এইদৰে ভাৰতত নাৰী-ৰূপত মাতৃ-স্বৰূপে পূজাৰ যি স্থান অধিকাৰ কৰি আছিছে, অন্য কোনো দেশত তেনে কৰা নাই।

ভাৰতত গৃহিণীকহে গৃহ বুলি কোৱা হয়। 'ন গৃহং গৃহমিত্যাহুৰ্গৃহিণী গৃহমুচ্যতে।' গৃহিণী গৃহৰ গৰাকিনী আৰু সাক্ষাৎ লক্ষ্মীস্বৰূপা। গৃহস্থ-ঘৰৰ সমস্ত ভাৰ তেওঁৰ ওপৰত ন্যস্ত থাকে। ঘৰৰ ল'ৰা-ছোৱালী, বোৱাৰী-বেটী আদি সকলোৱে তেওঁৰ কথামতে চলে। তেওঁ ঘৰখনৰ মাতৃ-স্বৰূপা। সেই বাবেই তেওঁক গৃহলক্ষ্মী বুলিও কোৱা হয়।

পাশ্চাত্যত কিন্তু এই ৰীতিৰ সম্পূৰ্ণ ব্যতিক্রম দেখা যায়। তাত আকৌ নব-বধূহে হৈ পৰে ঘৰৰ ঘাই মালিকনী। তেৱেঁই ঘৰৰ সৰ্ব্বেসৰ্ব্বা। আনকি বৃদ্ধা শাহুৱেকেও ন-বোৱাৰীৰ নতুন শাসনত চলিব লগীয়া হয়। অসমত চলি থকা ডাকৰ বচন—'শাহুৱে গৰকা বোৱাৰী বাবা; মাছে গৰকা পাচলি খাবা'—তাত সম্পূৰ্ণ অচল।

ভাৰতত ন-বোৱাৰী সন্তান জন্ম দিয়াৰ পিছতহে গৃহিণীৰ শাৰীলৈ উঠে। সতি-সন্ততি নথকা নাৰীৰ হাতে ইয়াত হেনো সন্ন্যাসীয়েও ভিক্ষা গ্ৰহণ নকৰে। ইয়াৰ মূল অৰ্থ এয়ে যে মাতৃত্ব লাভ নকৰালৈকে যুৱতী ভাৰ্য্যাই অন্তৰৰ চপলতা পৰিহাৰ কৰিব নোৱাৰে। মাতৃত্বলাভ কৰাৰ পিছতহে তেওঁ সেইদেখি প্ৰকৃত গৃহিণীৰ শাৰীত উঠে—এয়ে ভাৰতীয় ধাৰণা।

ভাৰতীয় ৰীতিমতে পতিৰ সকলো ধৰ্ম-কৰ্ম্মৰ ভাগ ভাৰ্য্যাই পায়। বৃদ্ধ কালত তীৰ্থ কৰিবলৈ গলেও দুয়ো বিগত জীৱনৰ পাপ বিমোচনৰ অৰ্থে হাতত ধৰাধৰিকৈহে তীৰ্থকুণ্ডত ডুবিয়াই স্নান কৰে। সেইবাবেই ভাৰ্য্যাৰ অপৰ নাম সহধৰ্ম্মিণী। কোনো ধৰ্ম্মকাম তেওঁক বাদ দি হব নোৱাৰে। গাঁও-ভূঁইৰ লোকে আজিও কয় যে সীতাক বনবাস দি উঠি ৰামে যেতিয়া প্ৰজাৰ হিতৰ কাৰণে যজ্ঞ আৰম্ভ কৰিছিল, তেতিয়াও তেওঁ ধৰ্ম-পত্নী সীতাৰ অবিহনে সীতাৰ স্বৰ্ণমূৰ্ত্তি নিৰ্ম্মাণ কৰাই সেই মূৰ্ত্তিকেই সীতাৰূপে গ্ৰহণ কৰিহে যজ্ঞ সমাপন কৰিব লগীয়া হৈছিল। ই অৱশ্যে মূল বাল্মীকি ৰামায়ণৰ কথা নহয়।

পতিৰ ধৰ্ম কামৰ এনেকৈ সমভাগ পায় তেওঁৰ প্ৰথমা পত্নীয়েহে। পিছৰ পত্নীসকল পতিৰ ধৰ্ম-পত্নী নহয়, কাম-পত্নীহে। ভাৰতীয় দৃষ্টিত ভাৰ্য্যাৰ স্থান ইমান উচ্চ আছিল বাবেই বিধিদাতা মনুৱে আৰ্য্য আৰু অনাৰ্য্যৰ অৰ্থ এইদৰে দিছিল—'সৎ সন্তান কামনাৰ ফলত যাৰ জন্ম হৈছে, তেৱেঁ আৰ্য্য; আৰু যাৰ জন্ম পিতৃ-মাতৃৰ উদ্দেশ্যহীন উন্মাদ সঙ্গমৰ ফল-

স্বৰূপ, তেৱেঁ অনাৰ্য্য।' অৰ্থাৎ পিতৃ-মাতৃ দুয়ো মনে-প্ৰাণে সৰ্ব্বতোভাৱে পৱিত্ৰ থাকি একান্তমনে পুত্ৰ বা কন্যা কামনা কৰি উপগত হোৱাৰ ফলত যি সন্তানৰ জন্ম হয় তেৱেঁ আৰ্য্য। কামনাহীন কাম-সম্ভোগৰ ফলত জন্মা সন্তানেই অনাৰ্য্য। অৱশ্যে ই এটা আদৰ্শহে আছিল। এই সূত্ৰৰ দ্বাৰা কাৰো আৰ্য্য-অনাৰ্য্যত্বৰ বিচাৰ সম্ভৱ নহৈছিল।

বিবাহ-বিচ্ছেদো হিন্দুসকলৰ কাৰণে সহজ-সাধ্য কাম নহয়। অৱশ্যে ই যে তেনেই অসম্ভৱ এনেও নহয়। শাস্ত্ৰকাৰসকলে কিছুমান বিশেষ অৱস্থাত তিৰোতাক অন্য পতি গ্ৰহণ কৰিবলৈও ব্যৱস্থা দি গৈছে। সেই বাবেই বিবাহিত জীৱনত তিৰোতাৰ পতি নষ্ট, মৃত, প্ৰব্ৰজিত, ক্লীৱ বা পতিত হলে (নষ্টেমৃতেপ্ৰব্ৰজিতে ক্লীবে চ পতিতে পতৌ) তেওঁ অন্য পতি গ্ৰহণ কৰাত বাধা নাই। অন্য কাৰণত বিয়াৰ পিছত পতি-পত্নীৰ বিচ্ছেদ একো-পধ্যে হব নোৱাৰে। সেই বাবেই সীতাই ৰামচন্দ্ৰৰ হাতত বাৰে বাৰে নিষ্ঠুৰভাৱে নিৰ্য্যাতিতা হৈও কামনা কৰিছিল— জন্মে জন্মে যেন মই ৰাম-কেহে পতি পাওঁ কিন্তু পৰজন্মবোৰত যেন এই নিষ্ঠুৰ বিৰহবোৰ নাথাকে।' —'ভূয়ো যথা মে জননান্তৰেঽপি ত্বমেৱ ভৰ্ত্তা নচ বিপ্ৰয়োগঃ'—'জন্ম-জন্মা-ন্তৰে পুনু তুমি হৈবা পতি।'

শকত মাধৱীলতাই মেৰিয়াই থোৱা বুঢ়া আমগছে মাধৱীলতা মৰি গ'লেও তাৰ মেৰপাকৰপৰা অব্যাহতি নাপায়; কৰবাত এডোখৰ তাৰে কাটি পেলালেও অন্য ডোখৰ অন্য ঠাইত থাকি যায়। ঠিক তেনেকৈয়ে ভাৰতীয় ৰীতি-নীতিয়ে আবহমান কালৰপৰা পকাই বান্ধি থোৱা ভাৰ-তীয় জীৱনকো নতুন নতুন আইন প্ৰণয়নে তাৰ বান্ধবোৰ কাটি দিব খুজি-লেও সেই জীৱন সম্পূৰ্ণৰূপে অন্য জীৱনলৈ ৰূপান্তৰ হব নোৱাৰে।

(৪)

ইংলণ্ড আদি পাশ্চাত্ত্য দেশবোৰত দাম্পত্য জীৱনৰ বন্ধন সিমান কট্-কটীয়া নহয়। ইংলণ্ডত দাম্পত্য অধিকাৰৰ দাবী আইনতঃ খাটে। অৰ্থাৎ কোনো বিবাহিতা স্ত্ৰীয়ে স্বামীৰ আৰু স্বামীয়ে স্ত্ৰীৰ সহবাসৰ দাবী কৰিব পাৰে। স্বামী বা স্ত্ৰী ভাত্ত বাজি নহলে শাস্তিৰ ব্যৱস্থাও আছে। অন্ত

পিনে আকৌ তেনে ৰীতি বা আইনৰ বন্ধন বাতিল কৰিবলৈ বিবাহ-বিচ্ছেদৰ সহজ পন্থাও আছে। ভাৰতত বিবাহ-বন্ধন বহু কাৰণত চক্ৰবেহ স্বৰূপ! তাক ভেদ কৰি ওলাই অহা সহজ কাম নহয়। অন্য কথাত, তাত প্ৰৱেশৰ পথ আছে, বহিৰ্গমনৰ বাট নাই।

ভাৰতীয় আদৰ্শত বিবাহিতা নাৰী পতিৰ পাৰ হৈ থাকে। সেইবাবেই কোৱা আছে যে লিখা কলম, পঢ়া কিতাপ আৰু বিবাহিতা পত্নী আনৰ লোকে কেতিয়াও হাতত পৰা এৰি দিব নালাগে; কাৰণ পৰহস্তগত হলে এইবোৰ বস্তু নষ্ট হোৱাৰ আশংকা থাকে।

"লেখনী পুস্তিকা জায়া পৰহস্তগতা গতা।
যদি সা পুনৰায়াতি নষ্টা ভ্ৰষ্টা চ মৰ্দ্দিতা।"

ভাৰতত বিবাহ-বিচ্ছেদৰ আইন সাধাৰণতে সামাজিক ৰীতি-নীতি আৰু চিৰাচৰিত কাৰ্য্য-ব্যৱস্থাৰ ওপৰত নিৰ্ভৰ কৰে। কোনো কোনো ঠাইত সামাজিক প্ৰথামতে পাণ-ছিঁৰ এৰা-এৰি হোৱাৰ ব্যৱস্থা আছে; কিন্তু সি সম্পূৰ্ণৰূপে সামাজিক ব্যৱস্থা আৰু সমাজে মানি লোৱা অৱস্থাৰ ওপৰত নিৰ্ভৰ কৰে। এনে অবাঞ্ছনীয় আৰু অপ্ৰীতিকৰ কাৰ্য্য যাতে কাৰো বিবাহিত জীৱনত নঘটে তাৰ কাৰণে বিয়াৰ আগতে দুয়োপক্ষৰ অভিভাৱকসকলে যিমানদূৰ সম্ভৱ অনুসন্ধান চলায়। দৰা-কন্যাৰ ৰাশি-যোৰা আদি চোৱাৰ পিছতহে বিয়া স্থিৰ হয়। সেইবাবে শাস্ত্ৰমতে মাতাল, যক্ষ্মাৰোগী আৰু পগলা মানুহৰ সন্তান-সন্ততিৰ বিয়া একেবাৰে নিষিদ্ধ। কাৰণ, পিতৃ-মাতৃৰ তেনে দোষে সন্তানসকলকো স্পৰ্শ কৰিব পাৰে। এইদৰে পঙ্গু, পাগল, চেৰাবলিয়া, কুঁজা আৰু মূঢ় লোকৰো বিয়া শাস্ত্ৰ-নিষিদ্ধ। এনেবোৰ শাস্ত্ৰীয় বিধান আজিৰ যুগৰো বিজ্ঞান-সন্মত উপদেশ।

ভাৰতত নিৰ্দিষ্ট পৰিসৰৰ ভিতৰত নাৰীয়ে স্বাধীনতা ভোগ কৰিছিল। অবলা হেতুকে নাৰীক সাধাৰণতে শিশু কালত ৰক্ষা কৰিছিল পিতৃ-মাতৃয়ে, যৌৱনত পতিয়ে আৰু বৃদ্ধ কালত পুত্ৰই। তেনেকৈ ভিন্ন কালৰ কৰ্তব্যও নিৰ্দিষ্ট কৰি দিয়া আছিল। কন্যা কালত জীয়াৰীসকলৰ এটা নিৰ্দিষ্ট কৰ্তব্য আছিল দোহন কাৰ্য্য, অৰ্থাৎ গাই খীৰোৱা কাম। সেইবাবে জীয়াৰীসকলক দুহিতা নামে জনা গৈছিল (দুহ ধাতুৰপৰা দুহিতা অৰ্থাৎ দোহন কাৰিণী)। এই দোহন কাৰ্য্য যদত ক্ৰমে নাইকিয়া হৈ আহিলত দুহিতা

শব্দৰ কদৰ্থ কৰা হ'ল। এইদৰে যে ঘৰখনৰ ধন-সম্পত্তি সোপাকে দোহন কৰি বিয়াৰ লগে লগে নিয়ে কাৰণেহে তেওঁলোকক আজিৰ দিনতো দুহিতা বোলে।

পুৰণি ৰীতিমতে গৃহিণীয়ে আছিল ৰান্ধনীও। পতিকে তেওঁ পতিৰ লগত বহি সহভোজন কৰাৰ কথা ভাবিব নোৱাৰিছিল। ঘৰৰ সকলো পৰিয়াল আৰু আই-আলহীক খুওৱাৰ পিছতহে তেওঁ ভোজন কৰিব লাগিছিল। মহাভাৰতত আছে যে সূৰ্য্যদত্ত থালীত ৰন্ধন কাৰ্য্য কৰি দ্ৰৌপদীয়ে হেলাৰঙে হাজাৰ হাজাৰ লোকক খুৱাব পাৰিছিল; কিন্তু নিজে খোৱাৰ পিছত হলে থালীত কাৰো কাৰণে আৰু একো নৰৈছিল। আজিৰ যুগত কোনোৱে হয়তো পেংলাই কৰি কব যে দ্ৰৌপদীয়ে ইমান বেছিকৈ খাইছিল যে তেওঁ খোৱাৰ পিছত থালীত আৰু একো বাকী নৰৈছিল। সি যিয়ে নহওক, সেই দিন ধৰি ভাৰতীয় তিৰোতাই ৰান্ধি-বাঢ়ি অলহী-অতিথি আৰু গিৰিহঁতক খুওৱাৰ পিছতহে নিজে খায়। আজিৰ তিৰোতাই যেহেতু প্ৰায়ে নিজে ৰন্ধা-বঢ়া নকৰে, সেই হেতুকে তেওঁ সকলোৰে পিছত খোৱাৰ প্ৰশ্নও নুঠে। এনে অৱস্থাত আজিৰ তিৰোতাৰ নো তেন্তে পতি-পুত্ৰাদিৰ লগত সহভোজন কৰাত বাধা কি?

(৫)

নানা আলোচনা সমালোচনাৰ মাজেদিও ভাৰতীয় নাৰীৰ আদৰ্শ হৈ থাকিব সীতা, সাবিত্ৰী, খনা, দময়ন্তী আদিয়ে। আধুনিক যুগত অৱশ্যে শিক্ষিতা ৰমণীসকলৰ অনেকে সীতাক আদৰ্শ পত্নী বুলি গ্ৰহণ কৰিবলৈ আপত্তি কৰে আৰু বস্তুতঃ সীতাক এটা কাল্পনিক চৰিত্ৰ বুলিহে ধৰিব খোজে। সি যিয়ে হওক, সীতা বাল্মীকিৰ মানস-কন্যা হলেও সেই কন্যাৰ চৰিত্ৰই ভাৰতীয় নাৰীসকলক যুগ যুগ ধৰি বিদ্দৰে প্ৰভাৱান্বিত কৰি আহিছে —অন্য কোনো চৰিত্ৰই তেনে কৰিব পৰা নাই। দয়া, স্নেহ, ত্যাগ, পতিভক্তি আদিৰ আদৰ্শ হিচাপে সীতা ভাৰতীয় মনত সদায়ে উজ্জ্বল হৈ থাকিব। ৰামচন্দ্ৰৰ হাজাৰ দোষ থাকিব পাৰে, কিন্তু সীতাই ক্ষমাশীলা ধৰিত্ৰীৰ দৰে সেই সকলোবোৰ সহ্য কৰিছিল কাৰণেহে তেওঁ ৰামচন্দ্ৰৰ

প্ৰেম আৰু ভক্তি জয় কৰিব পাৰিছিল। সীতাই যদি ৰামচন্দ্ৰৰ অন্যায়-অবিচাৰৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিলেহেঁতেন, তেনেহলে ৰামচন্দ্ৰৰ অৱস্থা কি হলহেঁতেন অনুমান কৰ' টান। তেওঁ সেই অবিচাৰৰ বিৰুদ্ধে যুদ্ধ কৰিছিল নীৰৱভাৱে পতিৰ আদেশ পালনৰ দ্বাৰা। সেয়েহে জীৱন-যুঁজৰ অন্তত অনুতাপ কৰিব লগীয়া হৈছিল—ৰামচন্দ্ৰই; সীতাই নহয়। সীতা অগ্নি-পৰীক্ষাত উত্তীৰ্ণা হৈ সমাজৰ পুজনীয়া হৈয়ে থাকিল। পতিৰ প্ৰতি যুদ্ধঘোষণা কৰা ভাৰতীয় নাৰীৰ জীৱনৰ আদৰ্শ নহয়। ভগৱান্ বুদ্ধয়ো সেই একে নীতিকেই কৈ গৈছে—'এটা আঘাতৰ প্ৰত্যুত্তৰত যদি আন এটা আঘাত দিয়া যায়, তেনেহলে সেই আঘাতৰ কোনো প্ৰতিকাৰ নহয়; তাৰ ফলত জগতত মাত্ৰ পাপ এটা বাঢ়ে।' সীতাৰ জীৱনটোৱে যেন তাৰ এটা জীৱন্ত পটন্তৰ। সীতাৰ চৰিত্ৰত ভাৰতীয় নাৰীৰ সহনশীলতা তেনেই মূৰ্ত্তিমান হৈ উঠিছে।

প্ৰাচ্য আৰু পাশ্চাত্যৰ আদৰ্শৰ বৈপৰীত্য ৰামায়ণৰ আৰু এটি ঘটনাত অতি স্পষ্ট হৈ উঠিছে। ৰামচন্দ্ৰ আছিল প্ৰজাৰঞ্জক ৰজা। প্ৰজাৰ মনোৰঞ্জনাৰ্থে তেওঁ নিজৰ সকলো সুখ আৰু স্বাৰ্থ বিসৰ্জ্জন দিবলৈ সততে সাজু আছিল; তেওঁ নিজেই এঠাইত কৈছিল—

'স্নেহং সৌখ্যং তথা প্ৰীতিং কীৰ্ত্তিঞ্চ জানকীমপি।
আৰাধনায় প্ৰজানাং মুঞ্চতো মে নাস্তি ব্যথা।'

—বোলে স্নেহ, সুখ, প্ৰীতি, কীৰ্ত্তি আৰু আনকি প্ৰিয়তমা ভাৰ্য্যা জানকীকো মই প্ৰজাৰ সুখৰ অৰ্থে বিসৰ্জ্জন দিবলৈ হেলা নকৰোঁ। —একালে প্ৰজাৰঞ্জক ৰজাৰ এনে মহান ত্যাগৰ আদৰ্শ আৰু আনকালে সসাগৰা পৃথিৱীৰ ভাৱী ৰজা অষ্টম এডোৱাৰ্ডৰ এগৰাকী আদৰণীয়া মহিলাক পত্নীৰূপে পাবৰ কাৰণে কৰা সিংহাসন ত্যাগৰ আদৰ্শই প্ৰাচ্য আৰু পাশ্চাত্যৰ মূল আদৰ্শৰ স্বৰূপ দাঙি ধৰে। ৰামচন্দ্ৰও আছিল ৰজা, অষ্টম এডোৱাৰ্ডো ৰজা। এজনে প্ৰজাৰ সুখৰ কাৰণে নিজৰ প্ৰিয়তমা পত্নীক পৰিহাৰ কৰিছিল আৰু আনজনে কৰিছিল মনোমত পত্নী পাবৰ কাৰণে পৈতৃক সিংহাসন পৰিত্যাগ। আদৰ্শৰ পাৰ্থক্য এইখিনিতে ধৰা পৰে।

সাবিত্ৰীৰ উপাখ্যান সকলোৱে জনা আছে। সাবিত্ৰীয়ে সত্যবানক মনে মনে পতিৰূপে বৰি লোৱাত দেৱৰ্ষি নাৰদে সেই সাবিত্ৰীৰ পিতাকক কলে

যে সত্যৱানে আগত এবছৰৰ ভিতৰতে ইহলীলা সম্বৰণ কৰিব; গতিকে সাৱিত্ৰীয়ে সত্যৱানৰ প্ৰতি ওপজা আকৰ্ষণ ত্যাগ কৰা উচিত। সেই কথা পিতৃকে সাত্ৰীৱিক বুজাই ক'লত সাৱিত্ৰীয়ে উত্তৰ দিছিল- 'পিতা, সত্যৱান অল্লায়ু হওক বা আসন্নমৃত্যু হওক মোৰ তাত ক্ষতি নাই। আপোনালোকে জানে মই মোৰ অন্তৰ সত্যৱানত অৰ্পণ কৰিছো। গতিকে এতিয়া ক্ষুদ্ৰ স্বাৰ্থৰ কাৰণে মই অন্য লোকক পতিবৰণ কৰিবলৈ গৈ দ্বিচাৰিণী হম কেনেকৈ? কুমাৰীৰ পতি নিৰ্ব্বাচনৰ কাৰণে জীৱনত এবাৰহে মাত্ৰ অধিকাৰ। গতিকে মই যাক পতি বৰণ কৰিছো, তেওঁক আৰু কোনো কাৰণতে পৰিত্যাগ কৰিব নোৱাৰিম!'

সাৱিত্ৰীয়ে পিছত নিজৰ মনৰ দৃঢ়তাৰ বলেৰে স্বয়ং যমৰজাকো পৰাহত কৰি কেনেকৈ নিজ স্বামী সত্যৱানক জীয়াই আনিবলৈ সক্ষম হৈছিল সেই কাহিনী সৰ্ব্বজনবিদিত। ভাৰতীয় নাৰীৰ সতীত্বৰ ই এটা একক উদাহৰণ।

(৬)

ভাৰতীয় নাৰীৰ সতীত্ব আৰু মহত্ত্ব সম্বন্ধে মহাভাৰতত আৰু অনেক উপাখ্যান আছে। তাৰে এটা হ'ল এই। এজন তপস্বীয়ে যৌৱনকালত বাৰ বছৰ একেৰাহে তপস্যা কৰি যোগবলত অসম্ভৱকো সম্ভৱ কৰিব পৰা হৈ উঠিছিল। এদিন তেওঁ গছৰ মাজেদি গৈ থাকোঁতে ওপৰত এটা বক আৰু এজনী কাউৰীৰ হঠাৎ বৰ যুঁজ লাগিল। সিহঁতৰ যুঁজত গছৰ কিছুমান শুকান পাত সৰি পৰিল; তাৰে গোটাচেৰেক ঋষিৰ মূৰতো পৰিলহি। তেতিয়া ঋষিয়ে ওপৰলৈ চাই সামান্য পক্ষী দুটাৰ এনে স্পৰ্দ্ধা দেখি খঙত জ্বলি উঠিল। তেওঁ চৰাই দুটাক তন্মুহূৰ্ত্ততে শাপি ভস্ম কৰিলে।

তাৰে কিছুপৰ পিছত ঋষি যাওক গাঁৱলৈ ভিক্ষা কৰিবলৈ! তেওঁ গৈ কোনো এঘৰ লোকত ভিক্ষা মাগিলত ভিতৰৰপৰা তিৰোতা এজনীয়ে ক'লে— 'বাপ, অলপ অপেক্ষা কৰক। মই বৰ ব্যস্ত আছো। অলপ মাত্ৰ অপেক্ষা কৰক।'

ঋষিৰ খঙে মূৰৰ চুলি পালেগৈ। তেওঁ ভাবিলে, তিৰোতাজনীয়ে অৱজ্ঞা কৰিছে তেওঁক সেইদৰে কৈছে। গুণত তেলত পানী পৰাৰ দৰে গৰ্জ্জি উঠি তেওঁ কবলৈ ধৰিলে—'হেৰ, সামান্য তিৰোতা এজনী হৈ তোৰ ইমান

স্পৰ্দ্ধা? মই কোন তই এতিয়াও চিনি পোৱা নাই? পাৰি বহু। তপোবলেৰে মই কি কৰিব পাৰো এতিয়াহে বুজিবি।'

ঋষিৰ কথাৰ উত্তৰত তিৰোতাগৰাকীয়ে কলে—'মই অনেনো কিয় বাপ? মইনো আপোনাৰ তপৰ বল নাজানোনে? জানো, পিছে জানিও মোৰ শয্যাশায়ী ৰুগ্ন পতিৰ পৰিচৰ্য্যা এৰি যাব নোৱাৰিহে এখন্তেক অপেক্ষা কৰিবলৈ কৈছো। ক্ষমা কৰক।'

—'ক্ষমা নাই। সন্ন্যাসীৰ তপৰ বল অকণো নাবুজা প্ৰবুজে। শুনিকে মই মোৰ শক্তিৰ পৰিচয় দিবই লাগিব।'

—'কাকনো চিনাকি দিব বাপ? মই আগতেই আপোনাৰ চিনাকি পাইছোঁ। পিছে ই হাবিৰ মাজত নিৰ্দ্দোষ চৰাইচুটিক শাপি ভস্ম কৰাৰ দৰে সহজ কাম নহব। মোৰ যদি সতী হওঁ তেনেহলে আপুনি ইমান সহজে মোৰ অনিষ্ট কাৰব নোৱাৰিব।'

কথা শুনি ঋষি অবাক হ'ল। তেওঁৰ যেন শৰীৰ আৰু মনৰ সকলো শক্তি কিহবাই শুহি নিলে। কোনো দুৰ্ব্বল লোকৰ কণ্ঠত ওলোৱাৰ দৰে মুখেদি বাহিৰ হ'ল—'তুমি নিভৃত অৰণ্যত ঘটা এই ঘটনাটিৰ কথা কেনেকৈ জানিলা, মাতা? ইতো বেছি সময় আগৰ কথা নহয়!'

তিৰোতাগৰাকী ওলাই আহিল আৰু ঋষিক সেৱা জনাই সৰলভাৱে কলে—'বাপ, মই মোৰ ৰুগ্ন পতিৰ সেৱাত বাহিৰে একো নাজানো! আজি কিছু কালৰপৰা তেওঁৰ শুশ্ৰূষাই মোৰ যোগধ্যান হৈ পৰিছে। বিশ্বাস কৰক—আপুনি যথা কোৱাৰ লগে লগেই মই চকুৰ আগত যেন পক্ষী ভস্ম হোৱা এই ঘটনাটো দেখিলোঁ আৰু মোৰ মুখৰপৰা অজানিতেই এই কথা বাহিৰ হ'ল। মোৰ দোষ ক্ষমা কৰিব বাপ। মই অবলা নাৰী!'

ঋষি তেনেই লাজপৰা কুণ্ডিৰ দৰে হ'ল। তেওঁ তিৰোতাগৰাকীক নমস্কাৰ জনাই ভিক্ষা গ্ৰহণ কৰি উভতিল। পতিব্ৰতা নাৰী এগৰাকীৰ কেৱল পতিসেৱাৰ মাজেদি লাভ কৰা ক্ষমতা দেখি তেওঁৰ বুজিবলৈ বাকী নাথাকিল যে একাগ্ৰমনে কৰ্ত্তব্য পালন কৰাটোও একপ্ৰকাৰ সাধনেই। এই আখ্যানটোৱে ভাৰতীয় নাৰীৰ অৰ্থে এটি উজ্জ্বল আদৰ্শ দাঙি ধৰে।

(৭)

আগতে কোৱা হৈছে—তেওঁৰ ওচৰ সকলোত বিয়া-বাৰু কৰা ভাৰতীয় আদৰ্শ নহয়। পমি চালে দেখা যায় আনকি অনাৰ্য্যসকলৰ মাজতো অনুৰূপ

এই প্ৰথা প্ৰচলিত নাছিল। অনাৰ্য্যসকলে লাগিলে অন্য কৈৱৰ্ত্ত গাভৰু ছোৱালীক বিয়াৰ কাৰণে জোৰেৰে টানি অনাটোকে পছন্দ কৰিছিল, তথাপি ওচৰ সম্পৰ্কত বিয়া নাপাতিছিল। এই বলাৎকাৰ-ৰীতি শেষত ক্ৰমে ক্ৰমে আৰ্য্যসকলৰ মাজতো বিয়পি পৰিছিল। আজিও আৰ্য্য আৰু অনাৰ্য্যসকলৰ অনেক জাতিৰ মাজত ইয়াৰ এটি ক্ষীণ প্ৰভাৱ বৈ আছে।

উপৰোক্ত বলাৎকাৰ কৰা ৰীতিত বাহিৰেও পৰ্ব্বতীয়া লোকসকলৰ মাজত চলি থকা আন কিছুমান ৰীতি-নীতিয়ে পুৰণি কালৰ কিছুমান শাস্ত্ৰোক্ত ৰীতি-নীতিৰ সমন্বয়ৰ সাক্ষী দিয়ে। স্বামী বিবেকানন্দই সেইবাবেই কৈছিল যে দ্ৰৌপদীৰ পঞ্চ-পতিলাভ এটা আকস্মিক ঘটনাই নহয়; ই অতি পুৰণি কালত ঠাইবিশেষত চলি থকা এটি সামাজিক প্ৰথাৰে ইঙ্গিত দিয়ে। তিব্বতত স্বামীজীয়ে ধৰ্ম্মবিষয়ে বক্তৃতা দি দেশ পৰিভ্ৰমণ কৰি ফুৰোঁতে এঠাইত পাইছিল যে এই যুগতো তিব্বোতাৰ বহুপতি গ্ৰহণৰ প্ৰথা অবাধে চলি আছে। এটা পাৰ্ব্বত্য পৰিয়ালৰ ছয়জন ভাই ককাইৰ মাজত একে-জনী মাত্ৰ বিবাহিতা তিব্বোতা আছিল। তাকে দেখি স্বামীজীয়ে সেই কুপ্ৰথা ত্যাগ কৰিবলৈ তেওঁলোকক বুজনি দিলত তেওঁলোকে হেনো উত্তৰ দিছিল—'তুমি আকৌ সাধু সন্ন্যাসী হৈ আমাক দেখোৱান্ স্বাৰ্থপৰতা শিক্ষা-বলৈহে আহিছা! এওঁক মইহে উপভোগ কৰিব লাগে আনে নালাগে—এইটো জানো স্বাৰ্থপৰ ভাব নহয়?'—কোৱা বাহুল্য যে এনে উত্তৰত স্বামী বিবেকানন্দৰ দৰে জ্ঞানী পুৰুষো খন্তেকৰ বাবে হতভম্ব হৈছিল।

পতিৰ স্বাৰ্থ আৰু অস্তিত্বৰ লগত নিজৰ সকলো স্বাৰ্থ আৰু অস্তিত্ব মিলাই দি ছয়োৰো জীৱনৰ খুঁতি ছুটা এটি কৰি বোৱাই নৈ যোৱাই ভাৰতীয় জীৱনত পত্নীৰ আদৰ্শ। তাকে কৰিবৰ কাৰণে বুদ্ধদেৱৰ পত্নী গোপাই জীৱনৰ সকলো বিলাস-বিহাৰ পৰিহাৰ কৰি ভিক্ষুণীৰ কঠোৰ জীৱন যাপন কৰিছিল; তাকে কৰিবৰ কাৰণে দ্ৰৌপদীয়ে পতিসকলৰ লগত বনে বনে ফুৰি অশেষ কষ্ট ভোগ কৰিছিল। গান্ধাৰীয়ে অন্ধপতি ধৃতৰাষ্ট্ৰৰ অন্ধতাৰ বেদনা মৰ্মে মৰ্মে উপলব্ধি কৰিবৰ কাৰণে সদায় নিজৰ চকুত কাপোৰ বান্ধি ৰাখিছিল। ৰজা হৰিচন্দ্ৰৰ লগত শৈব্যা পতিৰ্শ্বৰীৰ অৰণ্য-ভ্ৰমণ, শ্ৰীবৎস ৰজাৰ লগত পত্নী চিন্তাৰ দেশে-বিদেশে অশেষ ক্লেশ বৰণ আৰু নল ৰজাৰ লগত ভাৰ্য্যা দময়ন্তীৰ অসীম কষ্ট বৰণ আদিয়েই একোটি উজ্জ্বল পটচিত্ৰ।

ৰামায়ণত ৰাম-বনবাসৰ সময়ত ৰামচন্দ্ৰ আৰু সীতাদেৱীৰ মাজত যি কথোপকথন হৈছিল, চমৎকাৰিত্বৰ সৌন্দৰ্য্যেৰে কোনৰ বুকুত সি চিৰকাল আকৰ্ষণীয় হৈ ৰব। পিতৃ-আজ্ঞা পালন কৰি বনলৈ যাবলৈ ওলাই ৰামচন্দ্ৰই সীতাক প্ৰবোধ বচনেৰে উপদেশ দি কৈছিল যে তেওঁ ৰামচন্দ্ৰৰ লগত বনবাসলৈ যাব নালাগে। বনবাস খটা তিৰোতাৰ কাম নহয়। একেই দুৰ্গম অৰণ্য, তাতে সি হিংস্ৰ জন্তুৰে পৰিপূৰ্ণ। তাত আছে পদে পদে বিপদ, পদে পদে মৃত্যু-ভয়। — সীতাই তাৰে উত্তৰত কৈছিল— 'আপুনি এইবোৰ কি কয়? পিতা, মাতা, পুত্ৰ, ভ্ৰাতা— এই সকলোৰে নিজৰ স্বকীয়া ভাগ্য আছে, কিন্তু ভাৰ্য্যাৰ ভাগ্য ইহকাল পৰকালত কেৱল পতিয়েহে। আনকি একজনৰ আগধৰি মৃত্যু হ'লেও পৰলোকত আন জনৰ কাৰণে তেওঁ গৈ অপেক্ষা কৰিব লাগে। জীৱনে মৰণে দুয়োৰো ভাগ্য একেডাল বচিতে পকোৱা আছে। পতিকে আপুনি মোক পৃথক কৰিব খোজে কিয়? আপুনি যদি অৰণ্যত ঘূৰি ফুৰিব পাৰে,ময়ো পাৰিম। আপোনাৰ বাটৰ কাঁইট গুচাই দি মই আপোনাক সহায় কৰিম। বনৰ মাজত থাকিও আপোনাৰ সঙ্গ পালে মই স্বৰ্গ-সুখ পাম। তেতিয়া হাবিৰ কাইটবোৰো মোৰ কাৰণে হ'ব নন্দনৰ পাৰিজাত। আপোনাৰ সঙ্গ ত্যাগ কৰিবলৈ কোৱাৰ দৰে নিদাৰুণ কথা আপুনি আৰু মোক নকব।'

এয়ে ভাৰতীয় নাৰীৰ আদৰ্শ। গাৰ্হস্থ্য ধৰ্মত থাকি অনাবিল সুখ লভিবৰ কাৰণে নাৰী জীৱনৰ এনে আদৰ্শ মানি চলা ভাৰতীয় নাৰীৰ কাৰণেহে সম্ভৱ, পাশ্চাত্যৰ নাৰীৰ কাৰণে সম্ভৱ নহয়। পতিৰ পদাঙ্কনৰণত ভাৰ্য্যাই এনে নিৰ্য্যাতন হাঁহিমুখে বৰণ কৰাৰ দৃষ্টান্ত পাশ্চাত্যত দুষ্প্ৰাপ্য।

ভাৰতীয় দৃষ্টিভঙ্গিত জায়া পতিৰ কায়াৰ ছায়া স্বৰূপ। গা আৰু ছাঁৰ যি সম্বন্ধ, পতি-পত্নীৰ মাজতো সেয়ে সম্বন্ধ। এই ধাৰণা ভাৰতীয় নৰ-নাৰীৰ মনত সকলোকালৰ পৰাই অতৰ্কিতে অঙ্কুৰিত হয়। এদিন চহৰৰ শিক্ষিত মুছলমান ভদ্ৰলোক একজনৰ ঘৰলৈ নিমন্ত্ৰিত হৈ গৈ বাহিৰৰ বাৰান্দাতে তেওঁৰ নিজৰ সাত-আঠ বছৰীয়া ছোৱালীজনীৰ মুখত এই গীতটো শুনি স্তম্ভিত হৈছিলোঁহক— 'হে স্বামী, নকৰা মৈৰাগ; তোমাৰ লগতে যাম, খাটিম বনবাস— স্বামী নকৰা মৈৰাগ।' ইত্যাদি। ছোৱালীজনীয়ে তেতিয়া

শীত গা* গাই কেঁচুৱা নিচুকাই আছিল। ঘটনাটো তেনেই সামান্য; কিন্তু ৰাম-বনবাসৰ সময়ৰ সীতাদেৱীৰ এই বিলাপটোৱে কেনেকৈ সৰু মুছলমান ছোৱালী এজনীৰো মনত শীত মাতৰ মাজেদি পাঁচ বছৰ হৈছে, তাকে ভাবি-লেহে অবাক হব লাগে। নাৰী-জীৱনৰ আদৰ্শ ভাৰতীয় তিৰোতাৰ অন্ত-ৰত এইদৰেই অতৰ্কিতে অঙ্কুৰিত হয়, তাৰ বাবে বিদ্যালয়ৰ উচ্চ শিক্ষা নালাগে। কালক্ৰমত আকাৰ বা পৰিমাণত ইয়াৰ হ্ৰাস বৃদ্ধি ঘটিব পাৰে; কিন্তু প্ৰকাৰৰ আমূল পৰিবৰ্ত্তন হ'লে অসম্ভৱ।

নাৰীৰ প্ৰেম আৰু সৌন্দৰ্য্য

'প্ৰেমত ঘূৰিছে ভূমণ্ডল।
প্ৰেমত ফুলিছে শতদল ॥'

—কবিৰ বাণী। স্ত্ৰী পুৰুষৰ মিলনৰ অনিৰ্ব্বাণ আকাঙ্ক্ষাই যদি প্ৰেম আখ্যা পায়, তেনেহলে তেনে আকাঙ্ক্ষা আদিম যুগতো আজিৰ দৰেই নাছিল জানো? মানৱ-সভ্যতাৰ আদিম যুগত কিন্তু ই নৰ-নাৰীৰ অন্তৰত যথাযথৰূপে পৰিবৰ্দ্ধিত হবলৈ অৱকাশ নাপাইছিল। পিয়াহত লাগ বুলি-লেই পানী বা ৰুচিমতে চাহ, চৰবত আদি পালে জীৱনত তৃষ্ণাৰ মূল্য মানুহে নুবুজে। আদিম যুগৰ মানুহেও মিলন-সম্ভোগৰ কাৰণে হাবাথুৰি খাব নালাগিছিল। তেওঁলোকে মিলনৰ কাৰণে বাঞ্ছা নকৰিলেও সন্তান পাবৰ কাৰণে কিন্তু অভিলাষ কৰিছিল। কাৰণ, সন্তানে তেওঁলোকৰ অন্তৰৰ অবৰ্ণনীয় অভাৱ একোটা পূৰ কৰিছিল।

সেই কালত বহুত ক্ষেত্ৰত তিৰোতাইহে ভৱিষ্যতৰ আশ্ৰয়ৰ কাৰণে পুৰুষক হাত কৰি লবলৈ ইচ্ছা আৰু চেষ্টা কৰিছিল। আজিও নিউগিনিত মতা মানুহে ছোৱালী বিচাৰি বিয়া পাতিব নালাগে, বৰঞ্চ তাত মাইকী মানুহেইহে উপহাৰ দি মন যোৱা পুৰুষক বিয়াৰ কাৰণে সন্মত কৰিব লাগে। নিকোবৰতো গাভৰুসকলেহে পুৰুষক আকৰ্ষণ কৰি আনি স্বামী বৰণ কৰিব লাগে। জাপানৰ যেজু (Yezo) দ্বীপৰ আইনু লোকসকলৰ মাজতো সেই একে প্ৰথা চলি আছে। ইণ্ডোচীনৰ পুৰণি অধিবাসী ৰডেহ (Radeh) বিলাকেও গাভৰুক দৰা ধৰিবৰ কাৰণে ঘৰে ঘৰে ওলাই যাবলৈ দিয়ে। দক্ষিণ ভাৰতৰ কোলাৰিয়ান তিৰোতাবোৰেও মনখোৱা মতাৰ ঘৰলৈ গৈ বিয়া সোমায়। গাৰোসকলৰো মতাই তিৰোতা বিচাৰি বিয়া পতা অপ-মানৰ কথা। এনে নীতিয়ে ক্ৰমে ক্ৰমে পৃথিৱীৰ সকলো লোকৰ মাজতে প্ৰসাৰ লাভ কৰি আছিছে।

প্ৰেমৰ ক্ষেত্ৰত হেনো মাইকী-মানুহে মতাতকৈ বেছি চালাকি দেখুৱাব পাৰে; কাৰণ মাইকী-মানুহ সহজে উত্তেজিত নহয়। তেওঁৰ মগজুৰ উত্তে-

জনাৰ উম্নাই শীঘ্ৰে বিভ্ৰান্ত কৰিবলৈ সুবিধা নাপায়। ডাৰুইনৰ মতে স্থান আৰু কাল নিৰ্ব্বিশেষে সকলো জীৱ-জন্তুৰে মাইকীবোৰে প্ৰেমৰ ক্ষেত্ৰত দীৰ্ঘকালব্যাপী অচল-অটল থাকি মতাটোক নচুৱাব পাৰে। তেওঁৰ মতে নাৰীক প্ৰকৃতিয়ে এনে উপাদানেৰে সৃষ্টি কৰিছে যে তেওঁ প্ৰেমৰ প্ৰতিযোগিতাত সদায় পুৰুষক হাবুডুবু খুৱাই নাকত ধৰি চাকত ঘূৰাই লৈ ফুৰিব পাৰে। থমাচ হাৰ্ডিৰ মতেও নাৰীয়ে নিজে ভাল পোৱাতকৈ নিজক পুৰুষে যেদি ভাল পোৱাটোহে বিচাৰে। জীৱ-জন্তুৰ সম্ভোগৰ ক্ষেত্ৰতো মাইকীজনীৰ পলায়নকামী প্ৰবৃত্তিয়ে এই নীতি সমৰ্থন কৰে। ৰূপৰ মোহজাল পাতি কৰা আকৰ্ষণ আৰু মূল্য বঢ়াবলৈ কৰা অভিমান সেইবাবেই নাৰীৰ তূণত অব্যৰ্থ বাণ হৈ আছিছে।

পুৰুষ স্বভাৱতে যুদ্ধ-বিগ্ৰহপ্ৰিয় আৰু নাৰীয়ে সদায়, কবিতা আৰু লতাৰ দৰে, আনৰ আশ্ৰয় বিচাৰে। জীৱন যুঁজত প্ৰবৃত্ত হ'লে পিছত অৱশ্যে মনৰ সুকোমল গুণসমূহৰ প্ৰতিযোগিতাত কোনে কাক পৰাজয় কৰিব পাৰে সি বিচাৰ-সাপেক্ষ। সেইবাবে প্লেটোৰ মতে নৰ-নাৰী সকলোকে সমান সুবিধা দি জীৱন যুঁজত প্ৰতিযোগিতা কৰিবলৈ সুযোগ দিব লাগে। এৰিষ্টোটলে আকৌ কয় যে নাৰীক ঈশ্বৰে মানুহ কৰি সাজিব নোৱাৰিহে নাৰী কৰি থলে; অৰ্থাৎ অসম্পূৰ্ণ পুৰুষৰে অন্য নাম নাৰী। সি যিহওক, নাৰী নাৰীয়ে; পুৰুষে তেওঁৰ সান্নিধ্য-সুখ কামনা কৰাটো আডাম-ইভৰ যুগৰেপৰা এটি ঐতিহাসিক সত্য বুলি প্ৰমাণিত হৈছে। এই ধাৰণাৰ বিৰুদ্ধে অভিযান চলোৱা নিৰৰ্থক।

নাৰীয়ে সদায় পুৰুষৰ বীৰত্ব প্ৰশংসা কৰে। পূৰ্ব্ব কালত ৰূপৱতী আৰু গুণৱতী যুৱতীসকলৰ পতি-নিৰ্ব্বাচন হৈছিল সয়ম্বৰ সভাত। সেই সভাত বল-বিক্ৰমৰ দ্বাৰা যি যুৱকে অন্য প্ৰাৰ্থীসকলক মুকলি যুঁজত পৰাজয় কৰিব পাৰিছিল, তেওঁহে সেই ৰমণীক বিয়া কৰাব পাৰিছিল। ৰমণীয়েও তেনে বাহুবলী পুৰুষকহে পতিৰূপে বৰণ কৰিছিল। জীৱ-জন্তুবোৰৰ মাজতো বীৰত্বৰ এনে সমাদৰ দেখা যায়। যেতিয়া দুটা সিংহৰ মাজত সিংহীনাৰ কাৰণে ঘোৰ ৰণ লাগে, তেতিয়া সিংহীজনীয়ে সেই যুঁজ চাই আমোদ পায়। আচৰিত কথা এই যে সিংহীৰ কাৰণে যুঁজত প্ৰবৃত্ত হোৱা সিংহ দুটাৰ যদি এটা আঘাতৰা হয়, অথবা মৰিও যায়, তথাপি সিংহীয়ে আৰু

বাবে অকণো সহানুভূতি প্ৰদৰ্শন নকৰি অন্নী সিংহটোৰ লগত ধীৰে ধীৰে গুচি যায়। তাৰ পিছত সিংহতে পতি-পত্নী ৰূপে অৱশ্যে বাস কৰিবলৈ লয়। সমূহৰ সভাতো অনেকৰ অনেক লটি-ঘটি হয়; তাতৈ কেৱে ভ্ৰূক্ষেপ নকৰে।

নাৰী-স্বাধীনতা বহু পৰিমাণে জন্ম-নিৰোধৰ লগত যোজ মিলাই উদ্ভৱ হোৱা বস্তু। সন্তান জন্ম দিয়াৰ দুৰ্ব্বহ বোজাৰপৰা অব্যাহতি লভিলেহে নাৰীয়ে জীৱন যুঁজত নিশ্চিন্ত হব পাৰে। আজিৰ যুগত সন্তান জন্মাৰ সম্ভাৱনা যেতিয়া ক্ৰমে নাৰীৰ ইচ্ছাৰ ওপৰত নিৰ্ভৰ হৈ আহিছে, তেতিয়া তিৰোতাই মতাৰ লগত সমানে ফেৰ মাৰিবলৈ সাহস কৰা তেনেই স্বাভাৱিক। সেই কাৰণেই মতাই তিৰোতাৰ আৰু তিৰোতাই মতাৰ কামত হেতা-ওপৰা কৰি তৃপ্তি আৰু আমোদ লভা আজিৰ দিনৰ এটি বৈশিষ্ট্যস্বৰূপ হৈ পৰিছে। প্ৰগতিৰ সোঁতত তিৰোতাই আজিকালি চুৰত থাই থাই অফিচলৈ যোৱা আৰু মতাৰ দৰে চুটিকৈ চুলি কাটি কোট চোলা আৰু ঠেঙা পিন্ধি পুৰুষৰ দৰে আলিবাটত চালি এৰি ফুৰাটোও একো চকুত নলগা কথা হৈ পৰিছে।

নাৰীৰ আকৰ্ষণ তেওঁৰ সৌন্দৰ্য্যত। এই সৌন্দৰ্য্য নানাজনৰ মনত নানাভাৱে প্ৰতিভাত হয়। এসময়ত এই সৌন্দৰ্য্য নিৰ্ভৰ কৰিছিল—আটিল শৰীৰ আৰু সুস্থ মাতৃত্বত। নাৰীৰ শৰীৰৰ বাহ্যিক আকৰ্ষণ আৰু উজ্জ্বলতা কিন্তু ক্ষণস্থায়ী বস্তু। মাতৃত্বগ্ৰহণৰ লগে লগে সি ক্ৰমে হ্ৰাস পাবলৈ ধৰে। পুৰুষৰ সৌন্দৰ্য্য নিৰ্ভৰ কৰে ঘাইকৈ তেওঁৰ সাহস, শক্তি আৰু তেজস্বীয়া কৰ্ম্মকুশলতাৰ ওপৰত। সম্ভোগৰ আতিশয্যই দুয়োৰে স্বাস্থ্যৰ হানি ঘটায়। সেইবাবে আজিকালি পুৰুষে সম্ভোগ-বিবাহৰ বাধা আৰু নাৰীয়ে মাতৃত্ব গ্ৰহণৰ দায়িত্বৰপৰা অব্যাহতি লভি স্বাস্থ্য নিশোজিত ৰাখিবলৈ তৎপৰ হয়।

বহুত ক্ষেত্ৰত সন্তান পৰিয়ালৰ 'জীৱনী-শক্তিৰ' ধৰে। সন্তানৰ যৌৱনৰ বশবৰ্ত্তী হৈয়ে ইচ্ছা কৰিলেও পিতৃ-মাতৃয়ে 'গৃহ ত্যাগ কৰিব' নোৱাৰাত পৰে। নিজেই দুৰ্ব্বলীয়া বা দুৰ্ব্বল শিশুৰ প্ৰতি সেইবাবেই পিতৃ-মাতৃৰ মনৰ আৰু বেছি ঢল। নিজৰেই দেহৰ সন্তান বুলি বেমাৰী, দুৰ্ব্বল বা দুৰ্ব্বলা সন্তানক সেইবাবেই পিতৃ-মাতৃয়ে আত্যন্তিক পৰিমাণে যতন কৰিবলৈ বাধ্য হয়। পিতৃ-মাতৃৰ দুৰ্ব্বলতাৰেই প্ৰতীক স্বৰূপ থাকে, তাৰেই বেচা, কোৱা

থোৱা আদি নিশকতীয়া সন্তানবোৰ সদায় তেওঁলোকৰ অধিক চেনেহৰ পাত্ৰ হয়। পতি-বিয়োগৰ দাৰুণ শোক সহিব নোৱাৰি মৃত্যু বৰণ কৰিবলৈ ওলোৱা সংসাৰ-বিৰাগী মাতৃয়েও সেইবাবেই তেওঁৰ কোলাত নিজৰ কেঁচুৱাটি দিয়াত মৰিব নোৱাৰি কৈছিল—'বাছা, তোৰ বাবেই মই বাচি থাকিলোঁ।' এয়ে অপত্য স্নেহৰ মায়া।

(২)

সৌন্দৰ্য্য উপভোগ কিহৰ সহায়ত হয়? অকল চকুৱেহে সৌন্দৰ্য্য উপভোগৰ একমাত্ৰ সঁজুলি এনে নহয়। চকুৰে নেদেখা ফুল এটাৰো সুঘ্ৰাণ পালে আমি তাক উপভোগ কৰি আনন্দ পাওঁ। কিছুমান জন্তুৱে কেৱল ঘ্ৰাণেন্দ্ৰিয়ৰ সহায়তে সৌন্দৰ্য্য উপভোগ কৰে। কুকুৰ, গৰু আদি জন্তুৰ যৌনাচাৰত ইয়াৰ প্ৰকাশ দেখা যায়। আকৌ হেভেলক এলিচৰ মতে সাগৰৰ কিছুমান জন্তুত বাহিৰে জলচৰ আৰু স্থলচৰ সকলো জন্তুৱে সঙ্গীত ভাল পায়। বিশেষকৈ বীণ আৰু বাঁহীৰ সুৰ হেনো জীৱ-জন্তু সকলোৰে কাৰণে সমানে প্ৰিয়। শ্ৰীকৃষ্ণই সেইবাবেই নেকি গো-গোপী সকলোকে বাঁহীৰ সন্মোহনী সুৰেৰে সমভাৱে মোহিত কৰিব পাৰিছিল!

চৰাইবোৰেও সৌন্দৰ্য্য ভাল পায়। কিছুমান চৰায়ে বাহকবনীয়া ৰং-চঙীয়া পাখেৰে আৰু কিছুমানে চিত্ৰ-বিচিত্ৰ বিতোপন পথাৰৰ মাজত বাহ সাজে। কিছুমানে আকৌ মানুহৰ ঘৰৰপৰা কোনোবা টলকত আহৰণ কৰা ৰং-বেৰঙৰ কাপোৰৰ টুকুৰা, চিগা কিটা আদিৰে বাহ সাজে। আকৌ কিছুমান চৰাই আছে, সেইবোৰে হেনো উজ্জ্বল পাথৰ বা আয়নাত নিজৰ ছবি চাই আনন্দ লভিবলৈ বিচাৰে। সূৰ্য্যৰ ৰশ্মিত চিকমিকাই থকা আৰ্চিৰ সহায়ত ভৰত পক্ষী ধৰা যায়; কাৰণ তেনে আয়না দেখি ভৰত চৰাই ব' লাগি চাই থাকে। কাম চৰাই, শৰালী আদি কিছুমান জলচৰ চৰাইকো বাত্তি জোৰ আৰু বাজনাৰ সহায়তে ধৰা যায়।

সৌন্দৰ্য্য উপলব্ধিৰ লগত অভ্যাসৰ এটি নিগূঢ় সম্বন্ধ আছে। নাৰী স্বভাৱতে দুৰ্ব্বলা কাৰণে বলশালী পুৰুষৰ পুৰুষত্বই তেওঁলোকৰ অন্তৰ শীঘ্ৰ জয় কৰিবলৈ সমৰ্থ হয়। সকলোৰে অভ্যাস একে ধৰণৰ নহয় আৰু সেই-বাবেই সৌন্দৰ্য্য স্পৃহাও ভিন লোকৰ ভিন্ন ধৰণৰ।

ভোকাতুৰ প্ৰাণীয়ে সৌন্দৰ্য্য উপভোগতকৈ পেটৰ ভোক নিবাৰণৰ কাৰণেহে বেছি ব্যস্ত হয়। 'ক্ষুধাৰ্ত্তে কবিতা কুতঃ?' খাদ্যও যেতিয়া সৌন্দৰ্য্যযুক্ত হয়, ভোকাতুৰ লোকে তাক তেতিয়া হিয়াভৰা তৃপ্তিৰে গ্ৰহণ কৰে। প্ৰকাশৰ কাৰণে ব্যস্ত লেখকে নিজৰ লিখাই ছপাখানাৰ সহায়ত প্ৰচাৰ লভিলে তাক চাই অসীম আনন্দ পায়। তেওঁৰ কাৰণে সেই পুস্তকৰ সৌন্দৰ্য্য অপত্যৰ সৌন্দৰ্য্যৰ দৰে অতিশয় অভিলাষৰ সামগ্ৰী হৈ পৰে; কিন্তু শিল্পী এজনে তুলিকা লৈ নিজৰ মনঃপুত চিত্ৰ অংকন কৰিবলৈ সাজু হওঁতে তেনে পুস্তক হাতত পৰিলেও তাক তুলিকা ধৰোৱা মঁজুলি হিচাপেহে তেওঁ গ্ৰহণ কৰে। গতিকে মনৰ প্ৰয়োজনৰ লগত সৌন্দৰ্য্যৰ সম্বন্ধ ওতপ্ৰোত। স্পাৰ্টা আৰু এথেন্সত একালত সৌন্দৰ্য্যৰ সৰ্ব্বজনসন্মত আদৰ্শ আছিল—শক্তিশালী সাহসী যুৱক; তিৰোতা নহয়। কাৰণ, সাহসিকতা আৰু বীৰত্ব আছিল সেই যুগৰ সেই সেই ঠাইৰ ধনী-দুখী নিৰ্ব্বিশেষে সকাৰো বৰণীয় গুণ। তিৰোতা সৌন্দৰ্য্যৰ আকৰ্ষণীয় বস্তু হৈ উঠিল সিদিনাহে, যিদিনা পুৰুষে তেওঁক কামনা-ৰঞ্জিত দৃষ্টিৰে চাবলৈ ধৰিলে। পুৰুষৰ প্ৰেম আৰোপিত নহলে নাৰী সৌন্দৰ্য্য নিৰৰ্থক হয়। এইটোও কিন্তু ঠিক যে যিমানেই আপচু নহওক, এনে তিৰোতা নাই যি জীৱনত একন নহয় একন পুৰুষক আকৰ্ষণ কৰা নাই। এই অৰ্থত প্ৰত্যেক তিৰোতাই সুন্দৰী।

যৌৱন জাগি উঠাৰ লগে লগে নাৰীয়ে অতৰ্কিতে জানিবলৈ ধৰে যে পুৰুষ তেওঁৰ ৰূপৰ পুজাৰী, তেওঁৰ অঙ্গ-সৌন্দৰ্য্য পুৰুষৰ লোলুপ কামনাৰ সামগ্ৰী। তেতিয়া তেওঁ নিজৰ সৌন্দৰ্য্য আৰু সৌন্দৰ্য্যপূৰ্ণ স্থানবোৰৰ প্ৰতি সতৰ্ক আৰু সচেতন হয়। ক্ৰমে তেতিয়া পুৰুষৰ মন সেইবোৰ স্থানলৈ আকৰ্ষণ কৰা তেওঁৰ এটা লক্ষ্য হৈ পৰে। পীনোন্নত বক্ষস্থলত দোদুল্যমান হৈ থকা গজমতী হেমহাৰৰ সাৰ্থকতাও তাতেই। যুৱতী-নাৰীৰ অতৰ্কিতেই সঘনে বুকুৰ বসনলৈ নিজৰ আঙুলি যোৱাৰো কাৰণ সেইটোৱে। চকুত চকু পৰি অতৰ্কিতেই তললৈ চকু যোৱাৰো মূলত আছে ভাৱৰ লুকাভাকু; নিজক লুকাবৰ এটা ব্যৰ্থ চেষ্টা।

বিজুলীৰ দৰে চকুত অলক্ষ লগোৱা ৰূপৰ চমকেৰে পুৰুষৰ মন আকৰ্ষণ কৰি পুৰুষক নিজৰ ৰূপৰ উপাসক কৰা নাৰীৰ হিয়াৰ এটি গুপ্ত আকাঙ্ক্ষা; কিন্তু পুৰুষৰ হাতত সহজে ধৰা দিবলৈ তেওঁ ইচ্ছুক নহয়। নাৰীয়ে পুৰু-

বত পাৰবৈ বিচাৰে পুৰুষত, সাহস, কষ্টসহিষ্ণুতা আৰু আশ্ৰয়দানৰ ক্ষমতা।

মানুহৰ কামনা-ৰঞ্জিত সৌন্দৰ্য্যৰ আৰু এটা ছলাহী গুণ এই যে সৌন্দৰ্য্য-উপাসকৰ হাতত ধৰা পৰিলে ই আগৰ মোহনীয়তা আৰু আকৰ্ষণীয়তা বহু পৰিমাণে হেৰুৱায়। সৌন্দৰ্য্যৰ পূজাৰীয়ে তেতিয়া নতুন নতুন সৌন্দৰ্য্যৰ সন্ধানত পুনঃ মন এৰি দি পুনঃ মনেগঢ়া সৌন্দৰ্য্যৰ বন্দনা আৰম্ভ কৰে। অন্তৰৰ চিৰ-ছলাহী আৰু অপূৰণীয় বাসনাৰ লগত এইদৰেই সৌন্দৰ্য্যৰ এটা গুপুত সম্বন্ধ আছে। এই সম্বন্ধৰ ৰহস্যতেই পুৰুষৰ কাৰণে কামিনী কণ্ঠৰ মধুৰ স্বৰ আৰু নাৰীৰ কাৰণে শকত সবল গোটা আৰু ঘূৰণীয়া বস্তুৰ প্ৰতি হোৱা প্ৰীতিৰ মূল কাৰণ আছে বুলি যৌন-বিজ্ঞানৰ পণ্ডিতসকলে মন্তব্য দিয়ে।

ফুলৰ সৌন্দৰ্য্যই সকলোকে সমভাৱে আকৰ্ষণ কৰে কিয়? ইয়াৰো এটা ঘাই কাৰণ এই যে ফুলৰ সৌন্দৰ্য্যৰ লগত গছৰ যৌৱন আৰু বংশবৃদ্ধিৰ সম্বন্ধ নিহিত আছে। সেইবাবেই ফুল যৌন আকৰ্ষণৰ এটি উপাদান। সুগন্ধৰ প্ৰতি মনৰ অভিলাষ বা আকৰ্ষণৰো ঘাই কাৰণ সেই একেটাই।

প্ৰেমে প্ৰেমাস্পদক নতুন ৰূপ দিয়ে। প্ৰেমাস্পদৰ ডিঙিটো অতি মনোৰম। সেই ডিঙি ৰাজহাঁহৰ ডিঙিৰ দৰে দীঘল। গতিকে উপমা দিওঁতে প্ৰেমাস্পদৰ ডিঙি ৰাজহাঁহৰ ডিঙিৰ লগত একে ধৰণৰ বুলি কোৱাত স্বৰূপতে প্ৰেমাস্পদৰ ডিঙিৰ সৌন্দৰ্য্যহে নি ৰাজহাঁহৰ ডিঙিৰ সৌন্দৰ্য্যত আৰোপ কৰা হ'ল। মানুহে ৰাজহাঁহৰ ডিঙি চাবলৈ ভাল পায় কাৰণে প্ৰেমাস্পদৰ ডিঙি চাবলৈও ভাল পায় বোলাটো হাস্যকৰ কথা।

সৌন্দৰ্য্য-জ্ঞান যে সভ্যতা বিস্তাৰ আৰু সামাজিক পৰিবৰ্ত্তনৰ লগে লগে কিছু পৰিমাণে পৰিবৰ্ত্তিত হয়, তাক স্বীকাৰ কৰিব লাগিবই। ডহিডি নামে ঠাইৰ অধিবাসীসকলৰ আজিও চেপেটা নাক, হৈঁচাখোৱা নাকৰ বিন্ধা, উঠঙা কপাল আদি অতি আদৰৰ বস্তু। ইয়াৰ কাৰণে তাত লৰা-ছোৱালীক শিশু-কালৰ পৰাই যত্নেৰে তৈয়াৰ কৰা হয়। আফ্ৰিকাৰ ক'লা নিগ্ৰোবোৰে প্ৰথমে বিচাৰ্ড বাৰ্টন চাহেবক দেখি 'সোটো বগা বান্দৰ, সেইটো বগা বান্দৰ চা' বুলি তেওঁৰ মুখৰ আগতে চিঞৰি চিঞৰি হাহিছিল। জাপানৰ আইনুসকলে তিৰোতাৰ ওঠৰ ওপৰত গোঁফৰ দাবীহে পছন্দ কৰে। সেইবাবে বং ঘঁহিও তিৰোতাই গোঁফ সাজি লয়। কিমাশৰ্য্যমতঃপৰম্‌?

চকু, কঁকাল, বুকু, চুলি আদিৰ মনোহৰ আকৰ্ষণীয়তাই যুগে যুগে নাৰীৰ সৌন্দৰ্য্য নিৰ্ণয় কৰি আহিছে যদিও, এটা কথাত প্ৰকাশ কৰিবলৈ গলে বক্ৰতাই (curve) নাৰী-সৌন্দৰ্য্যৰ মূল বস্তু। বেঁকা চাৱনি, বেঁকা চেলা-উৰি, ঢৌ খেলোৱা বুকু, সৰু কঁকাল, এই অঙ্গবোৰৰ মাজেদি যি বক্ৰতা ফুটি উঠে, জলৰাশিৰ বুকুত বক্ৰ গতিত নাচি উঠা ঢৌবোৰৰ দৰে সিও নাৰী-সৌন্দৰ্য্যৰ স্বৰূপ নিৰ্ণয় কৰে।

'ধানটোৰে পতি কণটো, মানুহটোৰে পতি মনটো।' গতিকে বিভিন্ন পুৰুষৰ চকুত বিভিন্ন অঙ্গৰ সৌন্দৰ্য্য ৰমণীয় হৈ উঠে। সেয়ে নহলে সকলো পুৰুষে একে বিধৰ বা একে গঢ়ৰ নাৰীকে ভাল পালেহেঁতেন আৰু নাৰী সৌন্দৰ্য্যও হ'লহেঁতেন দোকানৰ বস্তুৰ দৰে এটি বিশিষ্ট বা নিৰ্দ্দিষ্ট চানেকি স্বৰূপ। বস্তুতঃ ভাবি আচৰিত হব লাগে যে গ্ৰীচ দেশত যি কালত সৌন্দৰ্য্যৰ আদৰ্শৰূপে লোৱা হৈছিল পুৰুষৰ মূৰ্ত্তিহে, নাৰীক সেই যুগত যৌন-সম্ভোগৰ সামগ্ৰী আৰু পুৰুষৰ পতনৰ হেতু বুলিহে ধৰি লোৱা হৈছিল। আনকি প্লেটোৰ দৰে মহাজ্ঞানী লোকেও কৈছিল—'নাৰীৰ প্ৰতি থকা প্ৰেমে জানো পুৰুষক দৈহিক আকৰ্ষণৰ পৰা আঁতৰাই কেতিয়াবা ভগৱানৰ প্ৰতি আসক্ত হবলৈ শিকাব? নাৰী নৰকৰ দ্বাৰ হৈয়ে থাকিব।' আনকি ৫৭৮ খৃষ্টাব্দত আহুত ওচিয়াৰ খৃষ্টান ধৰ্ম্ম সঙ্ঘয়ো স্থিৰ কৰিছিল যে তিৰোতাৰ আত্মা নাই। পুৰুষৰ চকুত যিদৰে প্ৰতিভাত হয়, সেয়ে তিৰোতাৰ ৰূপ আৰু পুৰুষৰ মনেই তেওঁৰ মন।

প্ৰকৃততে চকুত জলক লগোৱা ৰূপ যে প্ৰেমৰ মূল বস্তু নহয় তাক ন-কৈ কব নালাগে। আমাৰ বিহগী কবিয়ে সেই বাবেই তেওঁৰ এজন 'চেলা'লৈ লিখিছিল—'তোমাৰ কাৰণে সকলোৰে আঙুলিওৱা ছোৱালীজনী নিজে চালোঁগৈ। ৰূপ আছে সঁচা, সৌন্দৰ্য্য নাই। গতিকে 'বাদ দিবা।' —'তেখেতে কথা-প্ৰসঙ্গত পিছত কৈছিল- 'ৰূপ চকুৰে দেখা বস্তু, সৌন্দৰ্য্য অনুভূতিৰহে সামগ্ৰী। ৰূপ আৰু গুণৰ সম্মিলমিল ঘটিলেহে সৌন্দৰ্য্য প্ৰকাশ পায়। এই সৌন্দৰ্য্যহে নাৰীৰ অমূল্য সম্পদ।'

এটা উদাহৰণ। ইংৰাজ কবি বাইৰণ সৰুৰেপৰা খেৰ দেখনিয়াৰ আছিল। স্কুল-কলেজত তেওঁক অনিন্দ্য ৰূপৰ বাবেই বন্ধুসকলে ছোৱালী বুলি জোকাই-ছিল। তেওঁৰে। ডেকা বয়সত এনাবেলা মিলবেঙ্কি নামৰ অতি ৰূপহী গাভৰু

এজনী বহুত যত্ন কৰি জাদত পেলাই বিয়া কৰাইছিল। যেচেৰা থাইবণে ভাবিছিল তুয়োৰো কবণে তুয়ো সোণত সুৱগাৰ দৰে হব। তুয়োৰো মিলনত সপোনৰ স্বৰ্গই বাস্তৱত ধৰা দিবহি; কিন্তু কোৱা বাহুল্য তুয়োৰো চৰিত্ৰৰ দোষ তুয়োৰো চকুত শীঘ্ৰেই স্পষ্ট হৈ আহিবলৈ ধৰিলে। ফলত তুয়োৰো প্ৰতি তুয়োৰো ঘৃণা উজিল আৰু বিবাহিত জীৱনৰ এটি বছৰ পূৰ হবলৈ নোপাওঁতেই দুয়ো ৰীতিমতে বিবাহ বন্ধন ছিন্ন কৰিহে জীৱনত শান্তি লাভ কৰিলে। 'জিলিকা বস্তু মাত্ৰেই সোণ নহয়' যোলা কথাৰ সাৰ্থকতা ধৰা পৰিল। কামনাৰ অন্তৰাল ভেদ কৰি গৈ মোহমুক্ত নয়নেৰে চাব পাৰিলেহে সৌন্দৰ্য্যৰ স্বৰূপ দেখা যায়।

প্ৰেম প্ৰকৃততে অহৈতুকী নে?

নৰ-নাৰীৰ অন্তৰত পৰস্পৰৰ প্ৰতি পৰস্পৰৰ যি অনিৰ্ব্বচনীয় আকৰ্ষণ আৰু যাক সাধাৰণ কথাত প্ৰেম, প্ৰণয়, প্ৰীতি, আসক্তি, ভালপোৱা আদি নানা ভাৱে অভিব্যক্ত কৰা যায়, সেই আকৰ্ষণৰ হেতু বিচাৰ কৰি সমাজ-নীতি বিজ্ঞানৰ অধ্যাপক ৰবাৰ্ট উইন্‌চ্ (Robert Winch) নামৰ পণ্ডিত এগৰাকীয়ে তেওঁৰ 'সঙ্গী-নিৰ্ব্বাচন' (Mate Selection) নামৰ বিখ্যাত গ্ৰন্থত কৈছে যে প্ৰেমিকে প্ৰেমিকাৰ কাৰণে নিজৰ জীৱনৰ যথাসৰ্ব্বস্ব ত্যাগ কৰিব পাৰে বোলা কথা যথাৰ্থতে সত্য হব নোৱাৰে। তেওঁৰ মতে সেই ত্যাগ, স্বাৰ্থ-জড়িত ত্যাগ, উদ্দেশ্যপূৰ্ণ ত্যাগ, আত্ম-কেন্দ্ৰী ত্যাগ। ইয়াৰ মুখ্য উদ্দেশ্য নিজৰ সন্তুষ্টি সাধন, প্ৰেমাস্পদৰ মঙ্গল কামনা নহয়। শাস্ত্ৰোক্ত বাণী 'পুত্ৰাৰ্থে ক্ৰিয়তে ভাৰ্য্যা' বোলা কথাও যৌৱনৰ উত্তমৰ অগ্নি-পৰীক্ষাত তিষ্ঠিব নোৱাৰে। সাগৰত জোৱাৰ উঠিলে তাৰ ঢৌবোৰে যি আকুলভাৱে নাচিবলৈ ধৰে, সেই আকুলতাক চন্দ্ৰ-প্ৰাপ্তিৰ সক্ৰিয় প্ৰয়াস বোলা যি কথা— 'পুত্ৰাৰ্থে ক্ৰিয়তে ভাৰ্য্যা' বোলাও সেই একে ধৰণৰ কথা। চন্দ্ৰৰ আকৰ্ষণত অৰ্তাকতে সাগৰৰ বুকুত জোৱাৰ-ভাটাৰ সৃষ্টি হয়। ঢৌৱে তাৰ বাবে একো চেষ্টা নকৰে। সৃষ্টি ৰক্ষাৰ অতৰ্কিত আকৰ্ষণত যুৱক-যুৱতীৰ মনতো দুৰ্বাৰ মিলনাকাঙ্ক্ষা ওপজে। কবিৰ কথাত—

'ৰূপ লাগি আঁখি ঝুৰে গুণে মন ভোৰ
প্ৰতি অঙ্গ লাগি কাঁদে প্ৰতি অঙ্গ মোৰ।'

অৱস্থা এটাৰ সৃষ্টি হয়। সেই আকৰ্ষণ আৰু আকাঙ্ক্ষা বুজোৱে অন্তৰালত আছে কিবা এক অপূৰ্ণতা, কিবা এটা অভাৱ। অভাৱ পূৰণৰ কাৰণে মিলনৰ যি প্ৰবল বাসনা তাৰেই অন্য নাম প্ৰেম।

নৰ-নাৰী উভয়ে প্ৰেমত পৰে কেনে অৱস্থাত আৰু কাৰ লগত? প্ৰত্যেকে প্ৰেমত পৰে এনে এটি চৰিত্ৰৰ লগত যাৰ ৰূপ আৰু গুণবোৰ নিজৰ মনত অঁকা ৰূপ-গুণ [illegible] পৰিপূৰক হয়। [illegible] ভালবাসে একো বিচাৰতে

পূৰ্ণতা দান কৰা নাই। এই অপূৰ্ণতাৰ হেতুকেই মানৱৰ অন্তৰত আশা-আকাংক্ষাৰ ইমান প্ৰবলতা। কবিৰ মতেও—'অপূৰণ কৰমৰ ভাৰ বান্ধি লৈ, (আমি) ঘূৰি ঘূৰি আহিছোঁ উভতি।" আমাৰ এই অপূৰ্ণতাৰ কাৰণেই আমি পূৰ্ণব্ৰহ্ম ভগৱানৰ প্ৰতি শ্ৰদ্ধাৱান হওঁ। বীৰ-পূজাৰো সাৰ্থকতা তাতেই।

একে গুণসম্পন্ন দুজন লোকৰ ভিতৰত, তেনেহলে মিলা-প্ৰীতি কেনেকৈ সম্ভৱ হয়? তেনে ক্ষেত্ৰতো বিশ্লেষণ কৰিলে পোৱা যাব যে এজনৰ মনৰ অভাৱ কিছুমান আনজনে কথা কওঁতেই অতৰ্কিতে পূৰ কৰি যায়। মনত খুন্দিয়াই থকা কথা এটা অন্যৰ মুখত প্ৰকাশ হলে পোনেই 'চাবাইচ' বুলি মনটো নাচি উঠে আৰু মুখেদি তেনে ধৰণৰ কথা অকস্মাতে ওলাই আহে। তাতো প্ৰকৃততে অভাৱ পূৰণৰ প্ৰশ্ন আহি পৰে। মনটোৱে কিবা এটা সৌন্দৰ্য্য বিচাৰি অস্থিৰ হৈ পৰিছে, অথচ প্ৰকাশ একোপধ্যে সম্ভৱ হোৱা নাই, তেনে স্থলত সেই সৌন্দৰ্য্যই চকুৰ আগত আহি নিজে ধৰা দিলে তাক সি ভাল পাবলৈ বাধ্য হৈ পৰে। নিজৰ মনত বাজি থকা কিছুমান ভাবৰ পৰিপ্ৰকাশ আনৰ কথাত পালে সেই কথা আপোনা-আপুনিয়ে মনঃপূত হৈ পৰে। তাতো অভাৱ পূৰণৰ কথা আহি পৰে। আমাৰ সন্দিহান মনটোৱে নিজৰ কথা আৰু কাৰ্য্যত আনৰপৰা সমৰ্থন পালে তেনে সমৰ্থনকাৰীক অতৰ্কিতেই ভাল পায়।

এইদৰে অসম্পূৰ্ণ আশা-আকাংক্ষাবোৰৰ পৰিপূৰণৰ অৰ্থে য'তে আমাৰ মনে অলপমানো প্ৰশ্ৰয় বা আশাপ্ৰদ সঁহাৰি পায় সেই পিনেই সি উধাতু খাই ঢাপলি মেলে; তাৰ মাজেদিয়ে সি পূৰ্ণতা লভিবলৈ আকুল হৈ পৰে। ওৰে দিন কঠোৰ কামত দেহ-মন সপি দি কাম কৰা উগ্ৰ প্ৰকৃতিৰ মটৰ-ড্ৰাইভাৰ এজনে সেইবাবেই থক্কেৰ কাৰণে হলেও কোমল মাত এষাৰ আৰু শুশ্ৰূষাতুৰ অন্তৰ এখনি লভিবলৈ ব্যাকুল হৈ পৰে। সাহসী সৈনিক এজনৰ মনত ভীৰু প্ৰকৃতিৰ নাৰী হেনো বেছি লোভনীয়। নাৰীৰ অন্তৰৰ অন্তৰতম প্ৰদেশতো এনে এক্টা অপ্ৰকাশ্য অভাৱ থাকে, যিটো পূৰণৰ কাৰণে তেওঁৰ মন সততে অতৰ্কিতেই ব্যগ্ৰ হৈ উঠে। পিয়াহত পানীৰ কাৰণে আৰ্ত্ত হোৱা জন্তুৱে অতৰ্কিতেই পানী খাবলৈ আকুল হৈ পৰাৰ দৰে মনমৰ পাত্ৰ অন্বেষণৰ ক্ষেত্ৰতো বাপ আৰু ভাবৰ

আকলুৱা মনটোৱে নিজৰ তেনে অভাৱ পূৰণৰ কাৰণে এনে ধৰণে কাম কৰে। সেই বাবেই প্ৰকৃতিৰ অন্যান্য ক্ষেত্ৰতো সমে সমুদ্ৰৰ সন্ধানত ধাবিত নহয়; খাল-ডোঙৰে পূৰ হৈ থকা দ ঠাইবোৰেহে নদী-নলাৰ পানী আকৰ্ষণ কৰে অথবা গৰমত বায়ু পাতল হৈ ঠাই খালি হলেহে সেই খালি ঠায়ে বায়ু আকৰ্ষণ কৰে। প্ৰেমৰ ক্ষেত্ৰতো সেই একে উদাহৰণ খাটে। পণ্ডিতসকলৰ মতে স্বাধীনচেতা শ্বেতাঙ্গীসকলৰ অনেকে এনে প্ৰাকৃতিক নিয়মৰ বশবৰ্ত্তী হৈয়ে আজিৰ যুগত কঠোৰ প্ৰকৃতিৰ কৃষ্ণবৰ্ণ নিগ্ৰোৰ প্ৰতি স্বাধীন নাৰী-অন্তৰৰ দুৰ্ব্বলতা প্ৰদৰ্শন কৰে।

মানৱ-চৰিত্ৰ বিশ্লেষণৰ অপ্ৰতিদ্বন্দ্বী কবি নাট্যাচাৰ্য্য শ্বেক্সপীয়েৰে লেয়েহে তেওঁৰ অথেলো নামৰ ট্ৰেজিডিত নৰ-নাৰীৰ অন্তৰৰ এই বিচিত্ৰ আকৰ্ষণটি স্পষ্ট কৰি অঙ্কন কৰি দেখুৱাইছে। ডেচ্‌ডিমোনাৰ দৰে উচ্চ-কুলজাতা শ্বেতাঙ্গী ৰূপৱতী নাৰী এগৰাকীয়েও সেইবাবেই কৃষ্ণকায় মুৰ সেনাপতি অথেলোৰ কাৰণে জীৱনৰ যথাসৰ্ব্বস্ব ত্যাগ কৰিবলৈ আগবাঢ়িছিল। ৰূপে গুণে ধন্য অলেখ উচ্চবংশীয় যুৱকক নেওচিও তেওঁ পতিৰূপে নিৰ্ব্বাচন কৰিছিল এজনা কৃষ্ণবৰ্ণ সাহসী সেনাপতিক। ই কবি-কল্পনাৰ পৰীক্ষা-মূলক ছায়া-খেলা নহয়, মানৱ-চৰিত্ৰ বিশ্লেষণত পোৱা এটি বিচিত্ৰ অভি-জ্ঞতাৰ মোহন প্ৰকাশ হে।

অধ্যাপক উইন্‌চৰ মতে কম-বয়সীয়া যুৱক-যুৱতীসকল সততে ফিল্মৰ বিখ্যাত অভিনেতা বা অভিনেত্ৰীৰ প্ৰতি আকৃষ্ট হোৱাৰ মাই কাৰণ এই যে এই বয়সত যুৱক-যুৱতীসকলৰ শৰীৰৰ বল-শক্তি, ৰূপ-যৌৱন সকলো ভৰপূৰ থাকে, কিন্তু তেওঁলোকৰ অন্তৰত এটা ডাঙৰ অভাৱ থাকে, সেয়ে হৈছে যশস্যা, সুখ্যাতি বা সুনামৰ অভাৱ। নিজৰ গুণ-গৰিমা আনৰ মুখত শুনিবলৈ আৰু নিজৰ শক্তি-সামৰ্থ্য আনৰ আগত মহাবলৈ যুৱক-যুৱতীৰ অন্তৰত যি দুৰ্ব্বাৰ আকাঙ্ক্ষা ওপজে, অন্য বয়সৰ লোকৰ মনত তেনেকৈ নোপজে। চাটুবাক্য বা তোষামোদে যুৱক-যুৱতীক যিদৰে বশীভূত কৰিব পাৰে, আনক তেনেকৈ নোৱাৰে। ইও যৌৱনৰে একপ্ৰকাৰ দুৰ্ব্বলতা। এনে এটা দুৰ্ব্বলতাৰ হেতুকে ফিল্মষ্টাৰৰ দৰে চকুত জলকা লগাই দেখা দিয়া

ৰি কোনো বিখ্যাত লোকৰ প্ৰতি যুৱক-যুৱতীৰ মন সহজে আকৃষ্ট হয়।•

ওপৰৰ বিশ্লেষণৰপৰা অৱশ্যে ইয়াকে কোৱা নাযায় যে সকলো ক্ষেত্ৰতে নৰ-নাৰীসকলে সদায় যৌৱনত নিজৰ গাত নথকা ৰূপ-গুণবোৰৰ কাৰণেহে আকৃষ্ট হয়। সুন্দৰ ফুলটোৱে সকলোৰে চকু পৰাৰ দৰে মনোহৰ ৰূপ-গুণৰ আকৰ্ষণীয় মাদকতায়ো সকলোকে সমভাৱে আকৰ্ষণ কৰে। সেই আকৰ্ষণ ৰূপজ আকৰ্ষণ। মনৰ অভাৱ পূৰণৰ লগত থাপ খাই পৰিলেহে তেনে আকৰ্ষণ দৃঢ় আৰু স্থায়ী হয়! সেইবাবে চকুৰ প্ৰেম অথবা দৃষ্টিজাত প্ৰীতি (love at first sight) বুলি এটা কথাই আছে। চকুৰ প্ৰেম আৰু আন্তৰিক প্ৰেমৰ পাৰ্থক্য যথেষ্ট আছে। কাচপূৰ্ণ অন্ন-ব্যঞ্জনৰ সুঘ্ৰাণত ভোকাতুৰৰ জিভাৰ পানী পৰে; যাৰ অন্তৰত কিন্তু ভোক নাই তেওঁৰ জিভাৰ পানী নোলায়, তেওঁ তেনে সুঘ্ৰাণৰ মনোহাৰিত্ব নিৰ্লিপ্তভাৱে প্ৰশংসা কৰিয়ে ক্ষান্ত থাকে। সুন্দৰ ফুল এটা দেখি কোনোৱে তাক তুলি আনি নিজৰ কৰি লবলৈ বিচাৰে, কোনোৱে আকৌ তাৰ সৌন্দৰ্য্য চকুৰে চাই দূৰৰপৰা তাৰ সৌৰভ উপভোগ কৰিয়ে তৃপ্তি লভে; অন্তৰত আত্মসাৎ কৰাৰ আকাঙ্ক্ষা থাকিলেও সি প্ৰবলৰূপে কাৰ্য্যত দেখা নিদিয়ে।

অন্তৰৰ অভাৱ পূৰণৰ মাজেদিহে প্ৰকৃত আনন্দ উপভোগ কৰা যায়। চকুৰ তৃপ্তি খন্তেকীয়া আনন্দৰ সামগ্ৰী। সৌন্দৰ্য্য উপভোগৰ ক্ষেত্ৰতো তৃপ্তিৰ প্ৰকৃত উপাদান থাকে সৌন্দৰ্য্য-উপাসকৰ মনৰ মাজত। সুন্দৰী যুৱতী ভাৰ্য্যাৰ লগত সংসাৰ কৰা নিগোতল গুণৱান যুৱকৰ অন্তৰতো কেতিয়াবা আনন্দ নাইকিয়া হয়। বাহিৰৰপৰা চাই তেনে নিৰানন্দ বা অৱসাদৰ হেতু নিৰ্ণয় কৰা অসম্ভৱ হৈ পৰে। আচলতে লিহিৰিপতীয়া কাঁইটিয়া বেতৰ আলু বহুত দূৰৰ জোপোহাৰ মাজত থকাৰ দৰে তেনে নিৰানন্দৰো গুৰি কাৰণ থাকে মনৰ মাজত। মনৰ মিলন হে আচল মিলন। এজনৰ মনৰ মাজত থকা প্ৰকৃত অভাৱবোৰ অন্যজনত পালেহে দুটা মন সম্পূৰ্ণকৈ মিলি যায়। সকলো লোকে সকলো কামতে অন্যৰ

• The easiest way to meet it is to fall in love with someone famous, such as a film star, thus gaining a victorious sense of fame.

সমৰ্থন পালে আনন্দ পায়। তেনে সমৰ্থন য'তে পোৱা যায়, মনৰ বিসদৃশ অৱস্থা য'তে দূৰ হয়, তাতেই মিলনৰ যেহেন মন্দিৰ নিৰ্মাণ হয়। বাহ্যিক সৌন্দৰ্য্য বা ইন্দ্ৰিয়াকৰ্ষণত প্ৰকৃততে কোনো মিলনৰ সেতু নাথাকে। সেই-বাবেই হিন্দুমতে বিয়াত গ্ৰহ-বিচাৰৰ দ্বাৰা বৰ-কন্যাৰ মনৰ মিলনৰ সম্ভাৱনা আগতে নিৰ্ণয় কৰা হয়। মনৰ এনে মিলনেই প্ৰকৃত মিলন। প্ৰেমেও সাৰ্থকতা লভে এনে মিলনৰ মাজেদিয়ে।

নাৰী সৌন্দৰ্য্য আৰু বিহুগীত

বিহুগীত মাইকৈ প্ৰেমৰ গীত। প্ৰেম আৰু সৌন্দৰ্য্যৰ মাজত ঘনিষ্ঠ সম্বন্ধ। চাকিয়ে চগাক আকৰ্ষণ কৰাৰ দৰে সৌন্দৰ্য্যেও প্ৰেমিকক আকৰ্ষণ কৰে। প্ৰেমৰ অন্ধ উপাসকে প্ৰেমাস্পদৰ দৰ্শন লভিবলৈ নিজৰ প্ৰাণ পৰ্য্যন্ত উচৰ্গা কৰিব পাৰে। তাৰ প্ৰমাণ এণ্টনিও-ক্লিয়পেট্ৰা, তাৰ প্ৰমাণ ৰামী-চণ্ডীদাস, তাৰ প্ৰমাণ নেপোলিয়ন-জোচেফাইন। তেনেকৈয়ে ৰাজপুত ৰমণী পদ্মিনীৰ ৰূপৰ জেউতিয়ে এদিন সমগ্ৰ ৰাজস্থানৰ ধ্বংস আহ্বান কৰিছিল। প্ৰেমৰ এনে অনিবাৰ আকৰ্ষণৰ কাৰণে নৃত্য গীতৰ অনুষ্ঠানবোৰ হয় সোণত সুৱগা। নৰ-নাৰীৰ মাজত যি অনিৰ্ব্বচনীয় আকৰ্ষণ, সৃষ্টি-বৃদ্ধিৰ কাৰণে যি অদম্য বাসনা, আত্ম-প্ৰকাশৰ কাৰণে যৌৱনৰ যি বিপুল আকুলতা, সেই আটাইবোৰেই নৃত্য-গীতৰ মাজেদি প্ৰকাশ লাভ কৰে। বিহুগীত অসমীয়াৰ জাতীয় জীৱনৰ যৌৱন-সুলভ প্ৰেম-গাথা।

পুৰুষে যুগে যুগে সদায় নাৰীক নতুন নতুন ৰূপত সজাই আহিছে। সংস্কাৰৰ লগতো নাৰী-সৌন্দৰ্য্যৰ প্ৰশংসা জড়িত থাকে। কথাতেই কয়, বোলে—কেঁচাৰ কেঁচী, ইন্দ্ৰৰ শচী, হৰৰ পাৰ্ব্বতী। তাৰ মূল অৰ্থ, পৃথক লোকে পৃথক সৌন্দৰ্য্যৰ দ্বাৰা আকৃষ্ট হয়, আৰু সেই আকৰ্ষণ মনৰপৰা উদ্ভৱ হওঁতে সি একো প্ৰকাৰ সংস্কাৰৰ বশীভূত হৈ ওলায়। শাৰী-পিন্ধা সুন্দৰী ৰমণী অথবা আঠুৰ ওপৰলৈ লঠঙা চোলা পিন্ধা বগী মেম এগৰাকীয়ে অসমীয়া যুৱকৰ মনত যি ভাব জগাব তাতকৈ মুগাৰ মিহা-মেখেলা পিন্ধা গাভৰু এগৰাকীয়ে তেওঁৰ মনত অন্য ভাৱ ওপজাব। জন্মগত সংস্কাৰে বস্ত্ৰ-অলঙ্কাৰৰ লগতো মনৰ এনে নিবিড় সম্পৰ্ক ঘটায় যে দুয়োৰো সান্নিধ্যত দুয়োকো দুয়ো লো আৰু চুম্বকৰ দৰে আকৰ্ষণ কৰে। ই স্বাভাৱিক। পুৰুষৰ দৰে ওভোতাই পোন্ধ মৰা সুন্দৰী নোদোকা মহাৰাষ্ট্ৰীয় ৰমণী এগৰাকীয়ে অসমীয়া যুৱকৰ মনত আকৰ্ষণৰ ঠাইত বিকৰ্ষণহে সৃষ্টি কৰে, লাগিলে তেনে যুৱতীৰ অঙ্গ-প্ৰত্যঙ্গ যিমানেই নিপোতল আৰু বৰণ যিমানেই উজ্জল নহওক।

অসমীয়া যুৱকে যুগে যুগে কেনে নাৰী-সৌন্দৰ্য্য আৰু বস্ত্ৰ-আভৰণৰ প্ৰশংসা কৰি আহিছে, তাৰ এটি ইঙ্গিত বিহুগীতত পোৱা যায়। পূৰ্ণিমাৰ জোনৰ দৰে নিপোতল মুখ, চম্পা ফুলৰ কলিৰ দৰে যুনীয়া হাতৰ আঙুলি বাঁহৰ কাঁকৈৰ দৰে ঘন ভৰিৰ আঙুলি, মুঠিতে সুমুৱা সৰু কঁকাল, বৈ-পৰা চেলাউৰি, দীঘল চুলিটাৰি, এনেবোৰ বাহ্যিক নাৰী-সৌন্দৰ্য্য প্ৰশংসা বিহুগীতৰ অনেক পদত বিৰিঙি পৰিছে; যেনে—

তোমাৰ মুখনি পূৰ্ণিমাৰ জোন যেন
সৰলা তোমাৰে মাত;
তাঁতৰে শালতে দেখিবৰে পৰা
পেটলৈ যোৱা নাই ভাত।

* * *

হাতৰে আঙুলি পৰালি পৰালি
ভৰিৰে আঙুলি ঘন;
কোন কটাৰ জীয়ে জীয়ৰী তুলিলে
চাই থাকিবৰে মন।

* * *

তিতাকৈ তিয়নি যুৱনৰ গুৰনি
গোহালি গুৰনি তাঁত;
ল্যাহৰী গুৰনি চকুৰ চেলাউৰি
জামুকী বোলাৰা দাঁত।

অসমীয়া ৰমণীৰ নোদোকা শৰীৰৰ অপৰূপ প্ৰশংসা বিদেশীৰ মুখতো মুখৰ হৈ আছে। শৰীৰৰ এনে বিতোপন অৱয়ৱ আৰু বসন-ভূষণৰ চকুত লগা চমৎকাৰিতাৰ কাৰণে নিৰপেক্ষ বিদেশী বিচাৰকৰ লেখনিত অসমীয়া নাৰীয়ে আজি পৃথিৱীৰ নাৰীসমাজতো জাকত-জিলিকা বুলি সুখ্যাতি লভিছে। শৰীৰৰ নিপোতল মাংসপেশী সুস্পষ্ট হৈ উঠে তাঁত-শাল বওঁতে, বিহু নাচ দিওঁতে, ঘাগৰিত পুখুৰীৰপৰা পানী লৈ গম্ভীৰ গতিত গমন কৰোঁতে, বাহু তুলি তুলি জাকৈ বাওঁতে। শৰীৰে তিওৱা কাপোৰে গাত লিপিত খাই ধৰি শৰীৰৰ স্থূল মাংসপেশী স্পষ্ট কৰি তুলিলে সৌন্দৰ্য্য

অধিকতৰ আকৰ্ষণীয় হয়। সেই বাবেই ডাকৰ বচনতো নাৰী-সৌন্দৰ্য সম্পৰ্কে এইদৰে ইঙ্গিত দিয়া আছে—

আহু চাবি গধূলি, শালি চাবি পুৱা।
জাকৈ বাওঁতে ছোৱালী চাবি, কোন কেনেকুৱা॥

বিহুগীততো সেইবাবেই তিতা তিয়নিত গুৱনী হোৱা লাহৰীৰ সৌন্দৰ্য প্ৰশংসা কৰা হৈছে। এনে গীততে প্ৰকাশ পোৱা—'মাটি ফুটি ওলাল—তোৰ গজালি—হিয়া ফাটি ওলাল ছুদ্', 'মাকৰ ঘৰতে—জায়ৰী বাঢ়িলে—যেনে দাম কলৰ পুলি', জাঠিৰ কুড়া যেন—লাহৰীৰ কঁকালটি—ঘোঁৰাৰ যান যেন চুলি', 'ছোৱালী লেতেৰা—বিজুলী চকুৰা—মুখত মিচিকীয়া হাঁহি,' এনেবোৰ বচনো প্ৰণিধানযোগ্য।

পোছাক-পৰিচ্ছদে শৰীৰৰ সৌন্দৰ্য্য ফুটাই তোলে। অসমীয়া তিৰোতাৰো মুগাৰ ৰিহা-মেখেলা, হাতৰ গাম-খাৰু, ডিঙিৰ পোৱাল মণি, খোপাৰ কপৌফুল আদিয়ে সদায় অসমীয়া যুৱকৰ মন মতলীয়া কৰি আহিছে। বিহুগীততে আছে—

ন জোন ওলালে ৰৰণটি সলালে
সলায় বৰে গছে পাত;
আমাৰ লাহৰীয়ে ৰৰণটি সলালে
মুগা-ৰিহা মেৰালে গাত।

* * *

গুৱাই কি গুৱাই সোণৰ পোৱাল মণি
বনিয়াই বনিয়াই চাওঁ।
গুৱাই কি গুৱাই মোৰ ধন চেনাইক ঐ
পিন্ধাই আকৌ চুৰি চাওঁ।

* * *

কঁপা তোলাই গুৱয় তোকে দেহ' লাহৰী
ৰঙা তোলাই গুৱাই তোক;
ৰংপুৰ জিলাতে আছে ৰঙা চোলা
লেয়েছে তুৱাৰ তোক।

সোণৰ পোৱাল মণি আচল পোৱাল মণিৰ আকৃতিত গঢ়া ধুনীয়া মণি। আচল পোৱাল মণি আৰু জাংফাই সাধাৰণ অসমীয়া ৰমণীৰ প্ৰাচীন অলঙ্কাৰ। আজিও এই দুয়ো পদ অলঙ্কাৰৰ সমাদৰ ভিতৰুৱা ঠাইবোৰৰ নাৰী সমাজত যথেষ্ট আছে। এনেবোৰ বস্তুৰ গুণ বিজ্ঞানসন্মত জ্যোতিষৰ আধুনিক বিচাৰতো প্ৰশংসিত হলে আচৰিত নহৈ নোৱাৰি।

(২)

জ্যোতিষৰ মতে পোৱাল মণি মঙ্গল গ্ৰহৰ প্ৰীতিকৰ পদাৰ্থ। ইয়াক মঙ্গল গ্ৰহৰ প্ৰীত্যাৰ্থে পৰিধান কৰা সদা-সৰ্ব্বদা মঙ্গলকৰ। মঙ্গল গ্ৰহ শৰীৰৰ প্ৰতিৰক্ষক গ্ৰহ। ইফালে তিৰোতাৰ স্বাস্থ্য পুৰুষৰ স্বাস্থ্যতকৈ অধিক ক্ষণভঙ্গুৰ; কাৰণ তেওঁলোকৰ শৰীৰৰ ভিতৰ কল-কজাবোৰ ঘড়ীৰ কল-কজাৰ দৰে বৰ আলসুৱা; সহজে ৰোগাক্ৰান্ত বা অচল হব পাৰে। গতিকে তিৰোতাই স্বাস্থ্য-ৰক্ষাৰ কাৰণে অধিকতৰ নিয়ম-নীতি মানি চলা উচিত। তেনে স্থলত স্বাস্থ্য বিভাগৰ মূল গ্ৰহ মঙ্গলৰ সুদৃষ্টি তেওঁলোকৰ পক্ষে সৰ্ব্বতোভাৱে কাম্য। প্ৰবাল ধাৰণ বা পোৱাল পিন্ধা সেইবাবেই সকলো তিৰোতাৰ পক্ষে হিতকৰ। তিৰোতা কিয়, বহুত ধনী-মানী বিদ্বান লোকেও সেই পোৱাল বাখৰ আজি-কালি জ্যোতিষীৰ নিৰ্দ্দেশ মতে মঙ্গল গ্ৰহৰ প্ৰীত্যাৰ্থে সোণৰ আঙঠিত বাখৰৰূপে লৈ পৰিধান কৰা দেখা যায়।

গোমেদ নামৰ আৰু এবিধ মূল্যবান পাথৰৰ পৰিবৰ্ত্তে হেনো জাংফাই চলে। ৰাহু গ্ৰহৰ গোমেদ প্ৰীতিকৰ পাথৰ। সেইবাবে পেটৰ বেমাৰ থকা, ৰাহুৰ কুদৃষ্টিত পৰা লোকসকলক উক্ত গ্ৰহৰ সুদৃষ্টি বা সুপ্ৰীতিৰ কাৰণে গোমেদ ধাৰণ কৰিবলৈ বিধান দিয়া হয়। গোমেদ বা প্ৰবালৰ মাজেদি সূৰ্য্যৰ ৰশ্মি প্ৰৱেশ কৰি শৰীৰৰ ৰক্ত সঞ্চালনৰ ওপৰত প্ৰতিক্ৰিয়া কৰে। ৰশ্মি চিকিৎসা বৈজ্ঞানিক বিচাৰ মতেও আজিৰ যুগৰ একপ্ৰকাৰ বিশিষ্ট ধৰণৰ চিকিৎসা হৈ পৰিছে। 'এক্সৰে', 'ইনফ্ৰা ৰে', 'আলট্ৰা-ভায়লেট ৰে' আদি তেনে চিকিৎসাৰে পৰ্য্যায়ভুক্ত ব্যৱস্থা।

এইদৰে জ্যোতিষীৰ মতে প্ৰবাল ধাৰণ বা পোৱাল মণি পিন্ধাটো কি কোনো তিৰোতাৰ কাৰণেই হিতকৰ। এই মত অসমীয়া তিৰোতাই

জানিয়ে হওক বা নাজানিয়ে হওক, বহুকাল পূৰ্ব্বৰপৰাই মানি আহিছে। তেনেকৈ বাখৰ পতা আঙঠিও অসমীয়া তিৰোতাৰ প্ৰীতিকৰ অলঙ্কাৰ— 'যাৰ হাতত দেখিম ঐ—বাখৰ পতা আঙঠি—সইতে তালৈকে যাম।'

মুগাৰ ফুলাম বিহা-মেখেলাও অসমীয়া তিৰোতাৰ অতি আদৰৰ পৰিধেয় বস্ত্ৰ। মুগাৰ সোণ-বৰণীয়া কাপোৰৰ প্ৰতি আকৰ্ষণ আৰু মুগাৰ বিহা-মেখেলাৰ গুণ বৰ্ণনা বিহুগীতৰ অনেক পদত সঘনে পোৱা যায়। মুগাৰ কাপোৰৰ লগত যেন অসমীয়া বিহুৰো ওতপ্ৰোত সম্বন্ধ। সোণবৰণীয়া মুগাৰ কাপোৰে 'তাম্ৰবৰ্ণধাৰী' অসমীয়া নাৰীৰ যেন ৰূপতহে বহণ চৰায়। সেয়েহে মুগাৰ মহকাতে আৰম্ভ কৰি যোৱা বিহুগীতে মুগাৰ বিহা-মেখেলাৰ উল্লেখেৰে ভৰপূৰ হৈ ফুলাম গামোচাৰ আশীৰ্ব্বাদত পৰিসমাপ্তি লভিছে। অসমীয়া যুৱতীৰ 'মুগা বিহাৰ তলতে যৌৱন টনেটনায়' আৰু সেইবাবে গোৱা হয়—

হাতী চাই কিনিবা হাতীৰে লেচেঙি
ঘোঁৰা চাই কিনিবা জীন্:
মুগাৰে মেখেলা ভাল চাই কিনিবা
তেহে সুমথিবাক দিম।

গহনাও শৰীৰৰ শোভাবৰ্দ্ধক বস্তু। শৰীৰৰ শোভাই যৌৱন কালত পূৰ্ণতা লাভ কৰে। কথাতে কয় 'যৌৱনে কুকুৰী ধন্যা'। বিহুগীততো সেইবাবেই কোৱা আছে—

এবিপলু মৰিলে নালাগে এৰাপাত
বেজি গলে নালাগে তাত;
বয়স ভাটী দিলে নালাগে গহনা
বহনা নাথাকে গাত।

সেই যৌৱন কালত অসমীয়া তিৰোতায়ো হাতত, গাম-খাৰু, জিঞ্জিৰ, গোলপতা, মণি আৰু হাৰ, আঙুলিত বাখৰ পতা আঙঠি, গাত মুগা মেখেলা-আৰু কঁকালত মুগাৰ বিহা-মেখেলাকে ৰূপহী হবলৈ বিচৰাটো তেনেই স্বাভাৱিক। পুৰণি কালত অসমীয়া তিৰোতাই 'কাই' বা 'কাঞ্চিয়া' নামৰ একপ্ৰকাৰ অলঙ্কাৰ ভৰিত লোলাইছিল। নামৰ আকৰ্ষণেৰেপোৱাতো। মৃগ-নাইকী

মানুহৰ কাৰণে দাঁত বোলোৱা বিধি-বিহিত প্ৰথা। নাকফুল, কেৰু, খুটি-থাৰু আদি অলঙ্কাৰৰ ব্যৱহাৰ অসমীয়া নাৰী-সমাজৰপৰা ক্ৰমে ক্ৰমে উঠি যাব ধৰিছে। কেৰুৰ ব্যৱহাৰ কিন্তু আজিলৈকে প্ৰচলিত আছিল।

বোৱা-কটা নজনা অসমীয়া তিৰোতাৰ সমাদৰ ক'তো নাই। বোৱা-কটাত কাজী তিৰোতাৰ গুণ মকৰা-যোৱৰাত ভুৰি ভুৰি পোৱা যায়। আচলতে একাজী তিৰোতাৰ আদৰ দিনত সমাজী বা বুৱাৰে অৱস্থা বিলম্ব। সেইবাবেই কোৱা হয় "শালক পিছিয়ে হাতে; তয়ো একাজী, যতো একাজী, ভালেহে গবাকী নাহে।" আকৌ তেনেকৈয়ে—"অবৰ মন পাছ আচুদিয়া বিহা, হাতেও নহলোঁ কাজী; বাবৰ মন গ'ল পিছিয়া ভুৰালে, কপালত নাছিলোঁ সাধি।" বিহুগীততো আছে—

তলতে গৰকা ওপৰে নাচনি
তাঁতৰ চাৰি বাতি ৰ;
কেনেই বচাইছ মোৰ প্ৰাণেশ্বৰী
পেটৰ কথা ভাঙিয়ে ক।

• • •

তাঁত বাতি কাঢ়িব নাজানে চেনাই ঐ
তোমাৰ কুমলীয়া দেহা;
পেৰাৰে কিংখাপ দি যায় উলিয়াই
বেহাৰি প্ৰেমৰে বেহা।

• • •

বাৰীৰ চুকতে চেনাইৰ তাঁতশাল
ওতোতাই মাৰিছে মাকো;
ইফালে টকাৰ মাত সিফালে টকাৰ মাত
মাজত জেনে কঁৰি থাকো।

• • •

বহোঁ তাঁতশালত চকু আনি বাটত
মাকো পৰি পৰি পৰে—ইত্যাদি

এইদৰে অসমীয়া যুৱতীৰ শৰীৰৰ আকৰ্ষণীয় সামগ্ৰীবোৰৰ উল্লেখ বিহু-গীতৰ পংক্তিবোৰত লক্ষ্য কৰা যায়। এইবোৰ অসমীয়া গাভৰুৰ জাতীয় বৈশিষ্ট্য। যুগ যুগ ধৰি এইবোৰৰ মোহত অসমীয়া লোকসকলে আপোন-পাহৰা হৈ জীৱন-যৌৱন ধন্য কৰি আহিছে। আজি হাজাৰ যত্ন কৰিলেও অসমীয়াই তাক মনৰপৰা বিদায় দিব নোৱাৰে। ঠেঙা-টুপী পিন্ধি অন্য সাজ-সমাজত মজি থাকিও বিহু-গীতৰ ধ্বনি শুনিলে অসমীয়া ডেকা-ডেকেৰীৰ মনে আনন্দত ফিৰিঙি পাৰি উঠিবই। কৃত্ৰিম জগত সৌন্দৰ্য্যৰ সম্বন্ধ এনেকুৱাই।

চীন দেশৰ তিৰোতাৰ ভৰি সৰু হব লাগে। তাকে কৰিবৰ কাৰণে তেওঁলোকে বাল্যকালত কাঠৰ জোতা পিন্ধে। হনু ওলোৱা গাল, আয়তাকাৰ মুখ, খোপা চকু, চৈনিক নাৰী-সৌন্দৰ্য্যৰ আহিঁ স্বৰূপ। অসমীয়া বিহুগীত মতে আকৌ 'বুহ্ বহল কৰি, কঁকাল সৰু কৰি, তোম'ৰ মান ডবনী নাই' বুলিহে যুৱতীৰ সৌন্দৰ্য্য প্ৰশংসা কৰা হয়। এইদৰেই যৌৱনৰ জগত বিহু-গীত আৰু বিহু-নাচৰ সম্বন্ধ বহ্নি-বায়ুৰ সম্বন্ধৰ দৰে। সেয়েহে গীতত গোৱা হয়—

তোমাৰো যৌৱন কাল
আমাৰো যৌৱন কাল
যৌৱন কাল নাথাকে বৈ;
এনেহেন যৌৱন কাল
যাবলৈ ওলালে
পিৰীতি নকৰা ক'ই।

— — —

পৰকীয়া প্ৰেম

সাধাৰণ অৰ্থত স্বকীয়া মানে নিজৰ স্ত্ৰী আৰু পৰকীয়া মানে পৰৰ স্ত্ৰী। সহজিয়া ধৰ্মাৱলম্বীসকলেও স্ত্ৰীলোক সম্পৰ্কে একে অৰ্থতে এই শব্দ দুটা ব্যৱহাৰ কৰে। ধৰ্মৰ ব্যাখ্যাত অৱশ্যে শব্দ দুটাৰ সুকীয়া অৰ্থ আছে। তাত সাধাৰণতে স্বকীয়া শব্দই সকাম সাধনা আৰু পৰকীয়া শব্দই নিষ্কাম সাধনা নিৰ্দ্দেশ কৰে।

ফলৰ কাৰণে বাঞ্ছা ৰাখি কাম কৰি যোৱাকে সকাম সাধনা আৰু ফলৰ প্ৰতি অনাসক্ত হৈ কাম কৰাকে নিষ্কাম সাধনা বোলে। সকলো কামৰেই বন্ধা-ধৰা ফল আছে। ভাল কামৰ ভাল ফল, বেয়া কামৰ বেয়া ফল। কৰ্ত্তব্যৰ লগতো তাৰ ফল সাঙোৰা থাকে। সেই বাবেই কোৱা হৈছে—

কৰ্ম্মৰ দুগোটা ফল জানা সব্যসাচী।
সুখুজিলেও মাধৱে নিজে দিয়ে যাচি॥

গীতাত যদিও নিষ্কাম ভাৱে কাম কৰিবলৈ উপদেশ দিয়া হৈছে (মা ফলেষু কদাচন), তথাপি সংসাৰী লোকৰ কাৰণে সি সহজসাধ্য নহয়। সেইবাবেই দেশভক্ত ফুকনে 'স্তুতিমালা'ত কৈছিল

কৰ্ম্ম সদা কৰোঁ যেন কৰ্ত্তব্য পথক চাই
ফল আশা কৰ্ম্মৰ বন্ধন।
আকুল আতুৰ হৈলো মায়াৰ মোহত পৰি
কৰা প্ৰভু মায়াৰ নিৰ্জ্জান॥

স্বকীয়া সাধনাৰ উপাসকে সংসাৰৰ লেঠাবোৰলৈ ভয় নকৰে। পুত্ৰ-কন্যাদিক তেওঁলোকে সংসাৰৰ অৱশ্যম্ভাৱী জঞ্জাল আৰু মুক্তিপথৰ প্ৰীতিকৰ বাধা বুলিয়ে গ্ৰহণ কৰে। সেই কাৰণে স্বকীয়া সাধনৰ মাৰ্গ কিছু পৰিমাণে সোলপটীয়া। পৰকীয়া সাধনা কিন্তু সহজসাধ্য কাম নহয়। কিছুমান মাছ বোকাতে লেটি-পেটি হৈ থাকিও বোকা গাত নলগাকৈ থকাৰ দৰে পৰকীয়া

প্ৰীতিৰ সাধকসকলেও দায়িত্ব-মুক্ত হৈ নিৰ্লিপ্তভাৱে উপভোগ কৰিবলৈ বিচাৰে। দাস্য, সখিত্ব, বাৎসল্য আদি যি নৱবিধ ভক্তিৰ কথা শুনা যায়, সেই সকলো প্ৰকাৰতে ভক্ত আৰু ভগৱানৰ মাজত কৰ্তব্য আৰু দায়িত্বৰ বান্ধোন এটা আছি পৰে। ভগৱান যদি প্ৰভু আৰু ভক্ত যদি তেওঁৰ দাস বা ভৃত্য হয়, তেনেহলে ভৃত্যৰ প্ৰভুৰ প্ৰতি এক প্ৰকাৰ কৰ্তব্য ওপজাৰ লগে লগে প্ৰভুৰো দাসৰ প্ৰতি এটা দায়িত্ব আহি পৰে। সেই বাবেই দাস-ভক্তই কব পাৰে—'ইবাৰ কৰুণাময়, হৰি হে কমলাপতি, সত্যে সত্যে, মোক নাচাৰিবা'—ইত্যাদি। বাৎসল্য, সখিত্ব আদি সকলোতে সেই একে কথা। কিন্তু পৰকীয়া প্ৰীতিত সেই দায়িত্ব নাই। তাত সাধাৰণ কথাত —'দায় লাগে মানে মই ভাঙিম, ধন লাগে যাবে তই দিবি,' বোলাৰ দৰে কথা। সেই কাৰণে ধৰ্মৰ এই মাৰ্গ অতিশয় কণ্টকাকীৰ্ণ। সেই পথৰে পথিক হবলৈ গৈ বৌদ্ধ ধৰ্মত নেৰা-নেৰী আৰু বৈষ্ণৱ ধৰ্মত অনেক ভকত-ভকতনীৰ সৃষ্টি হৈছে। আচলতে—

সহজ সহজ সবাই কহে সহজ বুঝিবে কে

তিমিৰ অন্ধকাৰ যে হয়েছে পাৰ সহজ বুঝিবে সে।

বৈষ্ণৱ ধৰ্মত ৰাধা-কৃষ্ণৰ প্ৰীতিতে এই উপাসনাৰ পাতনি। পাৰমাৰ্থিক ভাৱত ভক্তসকলে ৰাধা আদি গোপীসকলক জীৱাত্মা আৰু কৃষ্ণক পৰমাত্মা বুলি তেওঁলোকৰ মিলন-বাসনাক পৰমাত্মাৰ প্ৰতি জীৱাত্মাৰ আকুল আকৰ্ষণৰূপে ব্যাখ্যা কৰে। সাধাৰণভাৱে তাকেই আকৌ পৰাঙ্গনা-প্ৰীতিৰূপে ধৰা হয়। সাধাৰণ ক্ষেত্ৰত সি কেনেকৈ ঘটিব পাৰে তাৰো বিশ্লেষণ আমোদজনক।

ইংৰাজীতে এটা কথা আছে, বোলে—Too much familiarity breeds contempt অৰ্থাৎ অধিক হলিগলিত ঘৃণা উপজে বা বৰকৈ মিলিলে মনোমালিন্যৰ ভয় থাকে। 'অতিপৰিচয়াৎ অৱজ্ঞা, অনাদৰোঽপি'। সেই হেতুকেই নৱ দাৰপৰিগ্ৰহ কৰাৰ পিছত দিন গৈ থকাৰ লগে লগে নতুন পত্নীৰ প্ৰতিও আকৰ্ষণ কমি আহে, মধুময় জীৱনৰ কল্পনা-বিলাসী যৌৱনক ক্ৰমে ম্লান হৈ পৰে। তেতিয়া সঘনে মনলৈ আহে—হায়, জীৱনৰ সেই দিনবোৰ আৰু উভটি নাহে—'তে হি নো দিবসাঃ গতাঃ'। তথাপি জীৱনৰ এই নিৰ্ঘাত সত্যটি মৰ্মে মৰ্মে উপলব্ধি কৰিলে কেৱল আমাৰ

একাকী শিশুকে আমাক শ্ৰেণীতে কোৱা মতে আছে—বিয়াৰ পূৰ্বে যি ৰোমাঞ্চ থাকে, সেই ৰোমাঞ্চ বিয়াৰ লগে লগে দূৰ হয়; 'বিয়াৰ' নৱত্বা আহি এখন দুৱাৰেদি প্ৰৱেশ কৰাৰ লগে লগে জীৱনৰ ৰোমাঞ্চ 'অন্তৰ্ধান' খিৰিকিৰে উৰি গুচি যায়।

অভাৱ বা দাৰিদ্ৰ্যৰ কঠোৰ আঘাততো প্ৰেম-পক্ষীক সোণৰ সজাৰপৰা উৰাই পঠায়। ডা° বাৰ্ণহাৰ্ডৰ মতে, Love flies out of the window when poverty enters the door—(Women and Love—by Dr Bernhard A. Bauer). কবিৰ ক্লিয়পেট্ৰা কল্পনাৰ সৃষ্টি আছিল। সেই ক্লিয়পেট্ৰাৰ ওপৰত আয়ুৰ কি বিনাশী কালৰো অধিকাৰ নাই—

Age can not wither nor customs stale
Her infinite variety —Shakespeare

বাস্তৱত ই অসম্ভৱ। বাস্তৱে এইদৰে ছলনা কৰে কাৰণেই মানুহৰ মনৰ ওপৰত কল্পনাৰ ইমান প্ৰভুত্ব। ঘনিষ্ঠতাৰ মাজেদি ৰকায়াই আমুৰায় কাৰণেই পৰকীয়াৰ প্ৰয়োজন আৰু আকৰ্ষণ।

মানুহৰ যৌন মিলনাকাংক্ষা বয়সৰ দাবী, বিশ্ববাজিকৰৰ সৃষ্টি-কৌশলৰ ছাবি। এই দাবীৰ বশবৰ্তী হৈ জৈৱিক আকৰ্ষণৰ ওপৰতে লক্ষলোখিনি ৰূপৰ আৰোপ কৰি সৃষ্টি বৃদ্ধিৰ আহিলা মাত্ৰ হৈ চলিলে কিন্তু মানুহ আৰু জন্তুৰ জীৱনৰ পাৰ্থক্য নথকা হয়। গতিকে নাৰী আৰু পুৰুষৰ এই দুৰ্নিবাৰ বাসনাক চিন্তা আৰু কাৰ্য্যৰ দ্বাৰা তাৰ গতি সলনি কৰি যি তান্ত্ৰিকসকলে কৰে কায়া-সাধনা বা যন্ত্ৰ-সাধনা। বজ্ৰযান, সহজযান আদি ধৰ্মৰ সাধনাবোৰতো এনে নাৰী-সঙ্গকেই সাধনাৰ মূল উপকৰণ বা আহিলা কৰি লোৱা হয়। এইদৰে নাৰী-পুৰুষৰ চিৰন্তন আকৰ্ষণটোকেই নতুন ৰূপত নতুন ৰূপ দান কৰে।

বৌদ্ধ সহজিয়াসকলৰ মতে শূন্যতা আৰু কৰুণাৰ মিলনত যি পৰমানন্দ ঘটে সেয়ে মহাসুখ। তাৰ মানে শূন্যতা আৰু কৰুণাৰ মিলনত, অৰ্থাৎ নাৰী আৰু নৰৰ মিথুন মিলন-সংযোগত যি পৰমানন্দ উদ্ভৱ হয়, সেয়ে মহা সুখ। এই মহাসুখেই ধ্ৰুৱ সত্য। এই ধ্ৰুৱ সত্যৰ স্বৰূপ উপলব্ধি ঘটিলে ইন্দ্ৰিয়-সুখ বিলুপ্ত হয়, সংসাৰ-জ্ঞান তিৰোহিত হয়, আপোন পৰ ভাৱ লোপ পায়, সংসাৰ বিনষ্ট হয়। এয়ে একপ্ৰকাৰ সহজ অৱস্থা।

প্ৰকৃতপক্ষে কিন্তু এই সহজ অৱস্থা কেইজনে লভিব পাৰে? তথাপি, এই পথৰে পথিক ভালো সংসাৰী মানুহ মাত্ৰেই নহয়? এনে সাধনাৰ পথত অগ্ৰসৰ হৈ কবি জয়দেৱে পদ্মাৱতী নামৰ নৰ্ত্তকী এজনীক বিয়া কৰাই তেওঁক দেৱী ৰূপে পূজা কৰিছিল, তেওঁৰ পদ-পল্লৱ লভিবলৈ সদায় লালায়িত হৈছিল। কবি চণ্ডীদাসে ৰামী নামৰ ধুবুনী এজনীৰ প্ৰেমতে আত্মসমৰ্পণ কৰি দি আত্ম-বিলোপ আকাঙ্ক্ষা কৰিছিল। সাধনাৰ এনে এটি স্তৰ সৰ্ব্বসাধাৰণৰ কাৰণে কেতিয়াও সম্ভৱপৰ নহয়; যদিও পথ অৱলম্বন যেথাত সুচল হব পাৰে।

পৰকীয়া প্ৰীতি চোৰাং প্ৰীতি। তাৰ পথত পদে পদে প্ৰতিবন্ধক, পদে পদে কণ্টকলৈ ভয়। ভৰত মুনিয়ে কাম প্ৰবৃত্তিৰ প্ৰকৃত সাৰ্থকতা ক'ত, সেই সম্পৰ্কে আলচ কৰি কৈছে যে য'ত (যেনে, পৰকীয়া প্ৰীতিৰ ক্ষেত্ৰত) বাধা বহুত, য'ত কাম-সেৱা চোৰাংভাৱেহে চলে, য'ত নায়কৰ পক্ষে নায়িকা আৰু নায়িকাৰ পক্ষে নায়ক দুৰ্লভ, তাতেহে কামৰ পৰাকাষ্ঠা—

"বহু বীৰ্য্যতে যতঃ খলু, যত্ৰ প্ৰচ্ছন্ন কামুকত্বম্।
যা চ মিথো দুৰ্লভতা সা মন্মথস্য পৰমা ৰতিঃ॥

বহুত বাধা কেনেকুৱা? যেনে লোকসমাজৰ বাধা, ধৰ্ম্মৰ বাধা, প্ৰিয়-পৰিজনৰ বাধা। বাধাৰ মাজেদিহে সকলো শক্তিয়ে নিজক প্ৰকাশ আৰু প্ৰতিষ্ঠা কৰিব পাৰে। আজ্ঞাৰ বাধা ভেদ কৰি আছে কাৰণেই সৃষ্টিত সোহৰৰ 'মোহন যৌৱন'। আডাম-ইভকো নন্দন-কাননত থৈ ভগৱানে বাধা দিছিল—'তুমি এই কাননত সকলো বৃক্ষৰ ফল খাবা, ইচ্ছামতে খাবা, কিন্তু নাখাবা জ্ঞান-বৃক্ষ বোলা সেই গছজোপাৰ ফল।' পিছে জগতৰ আদি পিতা-মাতাই কিন্তু সেই জ্ঞান বৃক্ষৰ ফল চুৰকৈ খাইহে এৰিলে! ফলত মদনৰ চোৰাং পন্থিয়ে—তেওঁলোককো আক্ৰমণ কৰিলে। সেয়েহে সহজ প্ৰাপ্যৰ প্ৰতি হেপাহ এৰি দুষ্প্ৰাপ্যৰ প্ৰতি মানৱৰ এনে দুৰন্ত অভিলাষ।

(২)

জালৰ পৰা যোৱা মাছটো সদায় ডাঙৰ যেন লাগে; লোকৰ ঘৰ সুখত থকা যেন অনুমান হয় আৰু পৰৰ স্ত্ৰীক লোকে অধিক ৰূপৱতী যেন দেখা যায়। এনেবোৰ কাৰণতে পৰকীয়া প্ৰীতিয়ে মানুহ সমাজত প্ৰতিষ্ঠা লাভ

কৰে। এই পৰকীয়া প্ৰীতিৰ চৰম বৰ্ণনা আৰু শেষ পৰিণতিৰ কথা অষ্টিন এলেন (Austin Allen) নামৰ নাট্যকাৰ এজনাকৈ প্ৰেজাৰ ক্ৰুইজ (Pleasure Cruise) নামৰ নাটকত সুন্দৰভাৱে বৰ্ণনা কৰা আছে। নাটকৰ গল্পটো বোৰতে কলে কথাটো স্পষ্ট হ'ব।

ওৱেনলেৰিচ নামৰ নিশোজ্জল যুৱক এজন শেৰেলিন কেৰভ নামৰ এজনী ৰূপহী এজনীৰ প্ৰেমত তালকৈয়ে পৰিল। পিছত দুয়োবোৰৰ মাজত লুকা-চুৰিকৈ প্ৰেমৰ আদান-প্ৰদান চলিল। তাৰ পিছত আকৰ্ষণ বাঢ়ি এনেকৈ হৈ আহিলত দুয়োবো গান্ধৰ্ব বিবাহ হ'ল। ইয়ানতে আচৰিত হ'ব লগীয়া কথা একো নাই। বিশেষকৈ পাশ্চাত্য সমাজত এনে কাৰ্য সকলোৰে কাৰণে ভাত-মাছ।

দুয়োকো দুয়ো নেবা হ'ল। বৈবাহিক জীৱনৰ দিনবোৰ আনন্দ-উৎসৱৰ মাজেদি সুখ-সম্ভোগত কাটি যাবলৈ ধৰিলে। কিছুদিন এইদৰে অতিবাহিত হ'লত সুখ-সম্ভোগে দুয়োকো ক্ৰমে আমুৱাবলৈ ধৰিলে। শেৰেলিন কেৰভে দেখিলে যে তেওঁৰ পতি লেৰিচে তেওঁক যেন সম্ভোগৰ মনোমত তৃপ্তি দান কৰিব পৰা নাই। তেওঁ যেন কাম-উপভোগৰ চৰম সুখ পাবলৈ এতিয়াও বহুত বাকী; অথচ তেওঁ মন খুলি সেই কথা কবও নোৱাৰে। পাশ্চাত্য সভ্যতাত পৰিবৰ্দ্ধিতা স্বাধীন দেশৰ ললনা তেওঁ। পতিকে মনে মনে তেওঁ স্থিৰ কৰিলে যে কিছুকালৰ কাৰণে হলেও স্বামীৰ সঙ্গ ত্যাগ কৰি তেওঁ মুক্তবিহঙ্গীয়া জীৱন যাপন কৰিব।

তেওঁ এবাৰ সেই উদ্দেশ্যে সাগৰ ভ্ৰমণত ওলাল। স্বামীৰ সঙ্গ ত্যাগ কৰি তেওঁ স্বামীৰ অনুমতি নোলোৱাকৈয়ে এখন নৱৰেগামী জাহাজত যাত্ৰা কৰিলে। অন্তৰত তেওঁৰ আছিল কত ৰকমৰ অপূৰ্ণ বাসনা; কিমানো জানোচা এতিয়ালৈ উপভোগ কৰিবলৈ নোপোৱা প্ৰেমৰ কিবা এক নতুন অভিজ্ঞতা লভিবলৈ সুযোগ মিলেই! আৰু যেছি সুৰ্যকৰ প্ৰেমৰ সূৰ্য-ৰশ্মি এচেৰেঙা জানোচা অভিজ্ঞতাৰ কোনোবা মুকলিদি অন্তৰত প্ৰবেশ কৰেহিয়ে—এনে এবেলাৰ এটা কামনা!

[illegible] স্বামীয়ে তেওঁক অকেক [illegible] [illegible] বিৰক্ত কৰিব নোৱাৰিলে। [illegible] [illegible] [illegible] নৈ [illegible]
[illegible] [illegible] [illegible] [illegible] [illegible] [illegible] ধৰিলে। [illegible]

জাহাজৰ পাল। জাহাজত কেৱলে মুকলি-মূৰীয়াভাৱে লক্ষলোৱে লগত ৰলিগলি কৰিবলৈ ধৰিলে। তেনেকৈ থাকোঁতে জাহাজতে কাম কৰা গাৰ্ডিনাৰ নামৰ অচিনাকী যুৱক এজনৰ লগত তেওঁৰ ভাবৰ আদান-প্ৰদান হ'ল। খেল-ধেমালি, গল্প-গুজৱ আৰু বিবিধ শাস্ত্ৰিক উপভোগৰ ৰঙ্গ-কেলিত দুয়োৰো সময় অতিবাহিত হবলৈ ধৰিলে। ক্ৰমে দুয়োকো দুয়ো লাহে লাহে চিনি লবলৈ উদগ্ৰীৱ হৈ উঠিল। এদিন দুয়ো গুপ্ত আলাপৰ দ্বাৰা ইয়াকে থিৰ কৰিলে যে সেইদিনা কেৱলে তেওঁৰ শয়ন প্ৰকোষ্ঠৰ দ্বাৰ উদ্ঘাটিত অৱস্থাত ৰাখি গাৰ্ডিনাৰৰ আগমন অপেক্ষা কৰিব আৰু গাৰ্ডিনাৰেও মাজ নিশা হাতত-সাৰে ভৰিত-সাৰে গৈ তেওঁক গুপ্ত প্ৰণয়ৰ কৰ-কাটল শোধাব।

প্ৰকৃতি গম্ভীৰ হৈ আছিল; কেৱলৰ মনোবাঞ্ছা পূৰ্ণ হ'ল। অন্ধকাৰৰ আঁৰত স্বয়ং ভগৱানে আহি গুপ্ত-প্ৰণয়ীৰ বেশত যেন তেওঁৰ জীৱনৰ সকলো কামনা আজি পূৰ কৰি দিলেহি! পিছ দিনা ৰাতিপুৱা উঠি তেওঁ তৃপ্তিত আনন্দবিহ্বল অন্তৰেৰে সাগৰৰ অপৰিসীম জলৰাশিলৈ চাই ভগৱানৰ ওচৰত কৃতজ্ঞ অন্তৰৰ প্ৰাৰ্থনা যাচিলে। তাৰ পিছত স্নান প্ৰসাধন কৰি গাৰ্ডিনাৰৰ ওচৰলৈ গ'ল। মুখত এখোকোৰা হাঁহি, পৰিতৃপ্তিত অন্তৰ ফুলি উঠিছে। প্ৰসাধনৰ স্তবকত খোজেপতি গোলাপ ফুলিছে।

গাৰ্ডিনাৰক তেওঁ গৈ কৃতকাৰ্য্যতাৰ বাবে ধন্যবাদ জনালে। গাৰ্ডি-নাৰৰ চেহেৰা শিথিল হৈ পৰিছিল বৰ্ণনাৰ অতীত। চকু ৰঙা, চুলি আউল-বাউল। মুখত বিৰাট অৱসাদৰ ক্লান্তি। শৰীৰ অৱশ। কেৱলে ভাবিলে—অনভিজ্ঞ যুৱক বেচেৰা গাৰ্ডিনাৰ! তেওঁ তেনেভাৱে শ্ৰান্ত হৈ পৰা আচৰিত নহয়। তথাপি তেওঁক পুনৰ উজ্জীৱিত কৰা কেৱলৰ কৰ্ত্তব্য। আকৌ, ভাবি তেওঁ গাৰ্ডিনাৰক ঠাট্টা কৰি কলে— ঠেং লোপাওঁতে লাগুৰিলে এই অৱস্থানে? হওক বাৰু, মই আৰু উচিত প্ৰতিকাৰ কৰিম। এতিয়া আহা, কালি নিশাৰ খেলাত কাৰ কি হাৰ-জিত হ'ল আলচ কৰোঁহক।

গাৰ্ডিনাৰে কলে—'কেৱল, কালি মই বাৰ লোৱাৰি চট্‌ফটাই নিশাটো কটালোঁ। চকুত টোপনি নাই, মনত শান্তি নাই। নিশাৰ কথা, ই কেতিয়াও মোৰ [illegible] অৱস্থা। [illegible] কোঁৱৰীজনী মোৰ [illegible]-

জোঁৱালীৰ দুৱাৰ কাষিকৰণৰ' এনেকাকে [illegible] কৰি [illegible] 'কী কৰিও মই খুলিব নোৱাৰিলোঁ। লাজতে আকৌ মাতিবও নোৱাৰিলোঁ। গুৰে বাহিৰ উজাগৰে [illegible] বাহিৰ [illegible] দেখোঁ যে [illegible] পৰা কোনোবাই আকৌ দুৱাৰ ধৈছে। [illegible] পেলালে। আমাৰ মিলনৰ দুৱ [illegible] খুলি, দেখা নাপালা দেই।'

কেবল আচৰিত হ'ল। তেওঁৰ মুখত [illegible] পুৰিল। তেওঁ গোনতে সেই কথাৰ এক [illegible] বুজি নাপালে। তেওঁ কেনেকৈ নিশাটো কটালে, কাৰ লগত? জীৱনৰ সকলো সুখ পাইও তেওঁ যেন তাক আকৌ হাততে হেৰুৱালে! মলিন মুখেৰে তেওঁ উভতি গ'ল। সমুদ্ৰৰ জাহাজ তেওঁৰ কাৰণে সেই মুহূৰ্ত্তৰেপৰা সুখকৰ নহৈ ঘোৰ নৰকৰ ঘোৰ কাৰাগাৰ হৈ উঠিল। শোৱা-কোঠাৰ প্ৰতিটো বস্তুৱে যেন তেওঁৰ জীৱনৰ বিৰাট ব্যৰ্থতা আৰু কেলেঙ্কাৰিৰ সাক্ষী দিব লাগিছে। তেওঁ কাৰ আগত কোনটো সত্তেৰে বাৰু নিজৰ জীৱনৰ এই কলঙ্কপূৰ্ণ কাহিনী ব্যক্ত কৰিব? গাৰ্ডিনাৰকে বা তেওঁ কেনেকৈ এই কথা কব আৰু কলে জানো তেওঁলোকৰ দুয়োখন অন্তৰ পুনঃ নিঃসন্দেহে মিলি যাব? এইবোৰ চিন্তাই তেওঁক খুলি খাবলৈ ধৰিলে। তেওঁ উপায়ান্তৰ নাপাই তাৰ পাছৰ বন্দৰটোতেই জাহাজৰপৰা নামিল আৰু কোনেও গম নোপোৱাকৈ ঘৰ-মুৱা হৈ খোজ ললে।

বাটত কেবলৰ স্বামী লেবিচে কেবলক নিজৰ চিনাকি দি তেওঁ কিয় উভতিল সুধিলে। ইমান সময় কেবলে সচাঁকৈ তেওঁৰ স্বামী লেবিচৰ কথাকেই ভাবি ভাবি গৈছিল। তেওঁ ভাবিছিল—মই যদি লেবিচক সকলো কথা খুলি কৈ ক্ষমা ভিক্ষা কৰোঁ তেন্তে তেওঁ জানো মোক আকৌ তেওঁৰ বিবাহিতা পত্নীৰূপে গ্ৰহণ কৰিব? গ্ৰহণ নকৰিলে মোৰ বাৰু কি দশা হব?' ইত্যাদি। এতিয়া সেই লেবিচক লগতে পাই। তেওঁ সাৱটি ধৰিলে আৰু তেওঁ সচাকৈয়ে ক্ষমা কৰিবলৈ খুজিলে। দু-চকুৰেদি দুধাৰি চকুলো বৈ-বৈ বাটত পৰিল।

লেবিচে নিৰুত্তৰে চিন্তে [illegible] কলে—'কেবল, সিদিনা তুমি আলো [illegible] [illegible] পালা? তুমি যদি নিজকৈ [illegible]

ৰিব পাৰা তেনেহলে মই তোমাক ক্ষমা কৰি পুনঃ গ্ৰহণ কৰাত কোনো প্ৰকাৰে আপত্তি নকৰোঁ।'

কেৱলে শোনেই কলে—'বিশ্বাস কৰা, ছলাহীকৈ হলেও ভগৱানে আজি নিশাৰ কাৰণে মোৰ সকলো আশা পূৰ কৰিছিল। আজি মই ভাবিছো সেই নিশাৰ আলহী যদি তুমি হ'লাহেঁতেন, তেনেহলে মোৰ ইকূল-সিকূল উভয় কূল ৰক্ষা পৰিলহেঁতেন।' ইয়াকে কৈ গাৰ্ডিনাৰৰ লগত তেওঁ কেনেকৈ প্ৰেমৰ বন্ধনত বদ্ধ হৈছিল, কেনেকৈ তেওঁক হোনোবাই বিশ্বাসঘাতকতা কৰি ঠগিলে—সকলো কথা অকপটে কৱলৈ ধৰিলে।

নেৰিচে দেখিলে আত্মপ্ৰকাশৰ মাজেদি কেৱলৰ অন্তৰ্শুদ্ধি ঘটিছে। তেওঁ তেতিয়া আত্মগোপন নকৰি কলে—'কেৱল, তেনেহলে ময়ো কওঁ তুমি জানো বিশ্বাস কৰিবা যে তোমাৰ এনিশাৰ অচিন আলহী মই স্বয়ংহে আছিলোঁ। তুমি ঘৰ এৰি যেতিয়া জাহাজত জলভ্ৰমণৰ কাৰণে ওলালা, মোৰ অনুনয়-বিনয়ে যেতিয়া তোমাক সাগৰ-যাত্ৰাৰপৰা স্থিৰত ৰাখিব নোৱাৰিলে, তেতিয়া মই নিৰস্ত নহৈ জাহাজৰ অধ্যক্ষৰ অনুমতিক্ৰমে সেই জাহাজতে ছদ্মবেশত গৈছিলোঁ—তুমিনো কি কৰা তাকে চাবলৈ। গাৰ্ডিনাৰ আৰু তোমাৰ মাজত যিবোৰ কথা-বতৰা হৈছিল, যিবোৰ ৰংধেমালি চলিছিল, সেই সকলোবোৰ মই ছদ্মবেশত থাকি নিৰীক্ষণ কৰিছিলোঁ। শেষত যেতিয়া দেখিলোঁ ঘটনা বিষম হয়, চাওঁতে চাওঁতেই মোৰ হাতৰপৰা তুমি পিছলি যোৱা, তেতিয়া মই গাৰ্ডিনাৰক নিজৰ প্ৰকোষ্ঠত বন্ধ কৰি থৈ নিজেই তেওঁৰ ভাওত ওলাবলৈ বাধ্য হৈছিলোঁ। তোমাৰ জানো সেই নিশাৰ এনে তেনে কথাবোৰ মনত আছে'—বুলি কিছুমান গুপ্ত কথা তেওঁ প্ৰকাশ কৰিলত কেৱলৰ বুজিবলৈ বাকী নাথাকিল যে যে নেৰিচেই সেই খেলা খেলিলে।

কেৱলে নেৰিচক পুনঃ সাৱটি ধৰি পাৰেমানে চুমা খাই হৰ্ষ-বিহ্বলৰ চকুলোৰে তেওঁক তিয়াই পেলালে। তেওঁ নেৰিচক কলে, 'প্ৰিয়তম, বিশ্বাস কৰা, মই সেই নিশাহে যেন নাৰীজীৱনৰ চৰম সুখ পালোঁ। ভগৱানে বাৰু মোৰ এই সুখ আয়ুসত স্থিৰ দিয়া নাছিল ?'

তেতিয়া দুয়োকো দুয়ো ক্ষমা কৰিলে, আৰু জীৱনৰ যেয়োবা সুখ-

শক্তি হুমোকো জীৱনতৈ উন্নতি লাহিল। তুমো কৃষ্ণৰ দেৱৰিয়েৰ গোপী-বালিকাৰ সৃষ্টি-লীলাৰ প্ৰতি প্ৰণাম জনালো।

(৬)

ইয়ে পৰকীয়া প্ৰীতিৰ এটি উদাহৰণ। ইয়াক আমাৰ কথাত পথা-ছিঙা প্ৰেম বুলিও আখ্যা দিয়া যায়। সংসাৰী লোকৰ ক্ষেত্ৰত এই প্ৰেমৰ আদৰ্শ গ্ৰহণীয় হ'ব নোৱাৰে; কিন্তু অতীতৰ কবিৰ লেখাৰ পৰা আজিও এনে প্ৰেমৰ অভিনয় অনেক ঠাইত চলিব লাগিছে। ইয়াৰ ফলত এযোৰা দম্পতিৰ সৰ্ব্বনাশ ঘটে আৰু একোখন গৃহস্থী ছাৰখাৰ হৈ যায়। সাধনাৰ উচ্চ স্তৰত কোনো এক ধৰ্ম্মৰ কাৰণে ই এটা বিশিষ্ট পন্থা ৰূপে গৃহীত হ'ব পাৰে, কিন্তু সৰ্ব্বসাধাৰণৰ গাৰ্হস্থ্য জীৱনত ইয়াৰ আদৰ্শ অপৰিগ্ৰহণীয়।

বাৎস্যায়নে যদিও পৰকীয়া-গ্ৰহণ সম্পৰ্কে তেওঁৰ বিখ্যাত গ্ৰন্থ কাম-সূত্ৰত তাৰ বিধি-প্ৰণালীবোৰৰ বিশদ আলোচনা কৰি দেখুৱাইছে, তথাপি তাক তেওঁ কুকৰ্ম আৰু অধৰ্ম বুলি স্পষ্ট কথাত উল্লেখ কৰিছে। বিধি-দাতা মনুৰ মতেও ই এটা উপ-পাতক। বাৎস্যায়নৰ মতে পৰকীয়া-গ্ৰহণ সকলোৰে কাৰণে বিধেয় নহয়। ই যে কুকৰ্ম তাত সন্দেহ নাই; কিন্তু অৱস্থা-বিশেষে কিছুমান দুৰ্ব্বল লোকে তেনে কুকৰ্ম নকৰি নোৱাৰে। তেনে দুৰ্ব্বল লোকৰ দুষ্কৰ্ম্মই যাতে সমাজৰ বিশেষ অহিত সাধন কৰিব নোৱাৰে তাৰ কাৰণেহে ঋষি বাৎস্যায়নে তেওঁৰ গ্ৰন্থত তাৰ পদ্ধতি লিপিবদ্ধ কৰিছে। এই পদ্ধতি দিয়াৰ পৰা তেওঁ স্পষ্ট কথাত কৈছে যে বিশেষ এক শ্ৰেণীৰ লোকৰ কাৰণেহে পৰকীয়া গ্ৰহণৰ নীতি-নীতি ৰচনা কৰা হৈছে। এনে পুৰুষ আছে, যি কাম-পৰৱশ হৈ অভিলাষ পূৰণ কৰিব নোৱাৰিলে সহজেই মৃত্যু বৰণ কৰিব পাৰে। নাৰীৰ ক্ষেত্ৰতো তেনে নাৰী নোহোৱা নহয়।—

"যং কিঞ্চিৎ উজ্জ্বলং পুৰুষং দৃষ্ট্বা স্ত্ৰী কাময়তে।
তথা পুৰুষোঽপি যোষিতম্।
অপেক্ষয়া তু ন প্ৰবৰ্ত্তত ইতি গোণিকাপুত্ৰঃ ॥ ৮ ॥"

অৰ্থাৎ পৰকীয়া গ্ৰহণৰ অভিলাষী লোকৰ কথা সম্পৰ্কে গোণিকাপুত্ৰই কৈছে— যে তেনে তিৰোতাই সুন্দৰ আৰু যৌৱনৰ দি কোনো উজ্জ্বল পুৰুষক দেখিলেই তেওঁক পাবলৈ আকুলতা প্ৰদৰ্শন কৰে। তেনে পুৰুষৰ তৰুণী-

বর্ত্তিক ক্ষেত্রেই ব্রতপাতিলাষী হয়; বিশেষ কারণ ব্যতীত হয়তো কার্য্যত প্রবৃত্ত হয় নোবারে। সেই শ্রেণীর লোকের কারণেই বাৎস্যায়নের 'পারদারিক' বা পরকীয়া গ্রহণ অধ্যায় রচিত হয়েছে' বলে তাকে কারণে নহয়।

পরকীয় প্রীতির মুখ্য উপাসক কবি চণ্ডীদাসে নিজেই পরকীয়া তত্ত্ব ব্যাখ্যা করি গাইছে—

কি রসে ভেজন নিজ পতি জনা পরপতি সনে মেলা।
স্বকীয়া ভেজন পরকীয়া সনে হইল রসের খেলা॥
স্বকীয়া কিরূপে নিজ পতি সনে নাকরে রসের রঙ্গ।
পর আস্বাদনে রস পোষ্টা লাগি পরকীয়া করে সঙ্গ॥

• • • •

পরকীয়া বিনে নাহি আস্বাদন অমৃত বিহনে স্বাদ।
চেনির কাছেতে কটু রসায়ন সে যেন কবরে স্বাদ॥
এই সব কথা না কর বেকত গুপুতে রাখিবে ইহা।
বেকত করিলে সকল লাগয়ে নাগাই যুগল দেহা॥
গুপতে রাখিলে মরমে ঢাকিবে রসতত্ত্ব এই গতি।
বেকত মাঝের আচার লুকুর সন্ততি জানহি পতি॥

(ইহার অর্থ, ব্যভিচার কদর্য বেনেটকে গুরুই সর্ব্ববিধ সাবধানতাবে গোপন রাখে—সেইরূপে ইহাকো গোপনে রাখিব)

নব নব রতি নব নব গতি নব নব রস দেহা।
নব নব সুখে নব নব প্রীতি নব নব সুখ লেহা॥
যেজন মাজানে সেহ প্রেমরতি সেজন আছএ ভাল।
পরের পিরীতি যেজনা করাছে তাহার পরাণ গেল॥

ব্যাকতা আর পরকীয়া-গ্রহণৰ অশোভনীয়তা সম্বন্ধে 'কথা-সরিৎ-সাগর'ত এটা মনোহর কাহিনী আছে। বর রূপবতী হোরাণী হলে ভেতর বজাত ধির লাগে বুলি বেমালি করা হয়। ভেলে একবারী পরম রূপবতী হোরাণীর বাপেকে সঁচাইয়ে জীয়েকক রজালে বিকটে পন মেলিছিল। হোরাণীর নাম উন্মাদিনী আর রজার নাম যশকেশ। দুয়োটা নামেই রূপটি অর্থ-ব্যঞ্জক।

ৰজা বীৰসেনে তেনে এটা প্ৰস্তাৱ পাই ছোৱালীৰ উপযুক্ততা আৰু ৰূপ-লক্ষণ নিৰীক্ষণ কৰিবলৈ জনবিয়েক ৰাজ-বৈদ্যক পঠালে। কন্যা-গৃহলৈ গৈ ছোৱালীৰ ৰূপ দেখি মেৰুবৰক তেওঁলোক মোহগ্ৰস্ত হৈ ভাবিলে—ৰজাই এইছেন ৰূপৱতী তৰুণী ভাৰ্য্যা পালে ৰাজ-কাৰ্য্যৰ প্ৰতি বঢ়ুৱি আওকাণ কৰিব। গতিকে উভতি আহি তেওঁলোকে ৰজাক জনালে—'মহাৰাজ, কন্যা ৰজাৰ উপযুক্ত নহয়।'—ৰজাই তাকেই বিশ্বাস কৰি সেই কন্যাৰ পাণিগ্ৰহণ কৰিবলৈ অসন্মত হ'ল।

উন্মাদিনীৰ লগত ৰজাৰ সেনাপতিৰ বিয়া হ'ল। অপমানিতা উন্মাদিনীয়ে এদিন ৰজাৰ মন পৰীক্ষা কৰিবলৈ পাতিলে। হাতীত উঠি ৰজাই ৰাজ-বাটেদি ফুৰিবলৈ যাওঁতে এদিন তেওঁ সুন্দৰকৈ সাজ-কাচ কৰি অসাধাৰণ ৰূপৰাশি লৈ ৰজাক দেখা দিলেহি। উন্মাদিনীৰ ৰূপে ৰজাক সঁচাকৈয়ে উন্মাদ কৰিলে। সেই মুহূৰ্তৰ পিছৰেপৰা ৰজাৰ মন সেই ৰূপৱতী ৰমণীক পাবৰ কাৰণে উদগ্ৰীৱ হৈ পৰিল। খা-খবৰ লৈ ৰজাই জানিলে যে সেই ৰমণী তেওঁৰ সেনাপতিৰে বিবাহিতা পত্নী আৰু একসময়ত তেওঁক তেৱেঁই বিয়া কৰাবলৈ অসন্মত হৈছিল।

চিন্তা-ভাৱনাত ৰজা শুকাই-খীণাই যাবলৈ ধৰিলে। বুঢ়া মন্ত্ৰীয়ে সকলো কথাৰ গম-গতি লৈ সেনাপতিৰ সন্মতিক্ৰমে উন্মাদিনীক ৰজালৈ পঠিওৱাৰ ব্যৱস্থা কৰিলে। সেনাপতিয়ে নিজেই গৈ কৃতাঞ্জলিপুটে ৰজাক কলে—'মহাৰাজ! মই মোৰ পত্নী উন্মাদিনীক স্বেচ্ছাই আপোনাৰ হাতত অৰ্পণ কৰি দিলোঁ—লাগিলে কোনো মন্দিৰত নি বিধিমতে দিবও পাৰোঁ, আপুনি তেওঁক গ্ৰহণ কৰক।' ৰজাই কলে—নাহং পৰস্ত্ৰীমাচৰে'—মই পৰস্ত্ৰী প্ৰেম নকৰোঁ। যদি তুমি তেওঁক পৰিত্যাগ কৰা, তেন্তে তোমাৰ ধৰ্মনাশ হব আৰু মই তোমাক দণ্ড দিছিম।' —ৰজাৰ সিদ্ধান্ত অপৰিবৰ্তিত হ'ল।

অৱশেষত ব্যাকুলতাতে মাৰ খাই ৰজা এদিন হৃদৰোগত মৃত্যুৰ পথত আগ বাঢ়িল; তথাপি তেওঁ গোপনে বা প্ৰকাশ্যে কেতিয়াও পৰকীয়া প্ৰেমৰ পাপ নকৰিলে। ৰজা বীৰসেন কথাই-কামে ধীৰ স্থিৰ আছিল।

পৰিবৰ্ত্তনৰ সোঁতত বিবাহ, সমাজ আৰু মানৱ প্ৰকৃতি

সময়ৰ সোঁতত সকলোৰে পৰিৱৰ্ত্তন হয়। কালিৰ শিশু আজিৰ যুৱক আৰু আজিৰ যুৱক ভৱিষ্যতৰ বৃদ্ধ—ই নিয়তিৰ নীতি। সমাজৰ জীৱন বুলিলেও সেই একে কথা খাটে। সমাজৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আদিৰো সদায় পৰিৱৰ্ত্তন হৈয়েই লাগিছে। যুদ্ধ-বিগ্ৰহ যেতিয়া সঘন আছিল সেই সময়ত বহু-বিবাহ বা এজন পুৰুষে অনেক ৰমণীক পত্নীৰূপে গ্ৰহণ কৰা এটা বিধি-বিহিত বিধান হৈ পৰিছিল। একেখন দেশতে অনেক ফৈদ আছিল আৰু সেই ফৈদবোৰৰ ভিতৰত সততে ৰণ-বিগ্ৰহ হৈছিল। তেনে ৰণ-বিগ্ৰহত অলেখ মতা মানুহ নিহত হৈছিল, আৰু তাৰে ফলত তিৰোতাৰ সংখ্যা বৰকৈ বাঢ়িছিল। সেই তিৰোতাবোৰক আশ্ৰয় দিবৰ কাৰণেই অন্ততঃ বহু-বিবাহ হৈ পৰিছিল এটি অতি প্ৰয়োজনীয় সমাজ ব্যৱস্থা। কুৰুক্ষেত্ৰৰ ৰণৰ আৰম্ভতে সেইকাৰণেই গীতাত মহাবীৰ অৰ্জ্জুনে কুলক্ষয় আৰু কুলধৰ্ম নাশ হৈ তিৰোতাসকলৰ ভ্ৰষ্টাচাৰত লিপ্ত হোৱাৰ ভয়ত আৰু তাৰ ফলত বৰ্ণসংকৰ বা জাৰজ সন্তান জন্মাৰ আশংকাত ৰণত প্ৰবৃত্ত হবলৈ অনিচ্ছা প্ৰকাশ কৰিছিল। যুদ্ধ-বিৰতিৰ পিছৰ কালত বহু-বিবাহৰ ওপৰত কুঠাৰ আঘাত পৰিলে। আজি জন-গণনা মতে অনেক দেশত পুৰুষতকৈ নাৰীৰ সংখ্যা কম। গতিকে বহু-বিবাহ হৈ পৰিছে নীতি-বিৰুদ্ধ কাম।

'আগেয়ে পৰিজনৰ' নি ভাও, ভজা মাছৰ চাৰি পাত খুলিও যোজনা ধৰি আছে। পূৰ্ব্বাৰ ৰাজ-কাজ আৰু শাস্ত্ৰতেও নীতি-নিয়মৰ বান্ধবন্দি [illegible] প্ৰাচ্যত [illegible], পাণ্ডৱ আদি সকলোৰে চিন্তা। পাশ্চাত্যত আজিও পুৰুষ শিক্ষা [illegible] কালোৰ 'ভতাই দিলেহে [illegible]' [illegible] প্ৰদৰ্শন কৰা হয়। আৰবৰ তিৰোতাই মুখ মেলুৱা বিষয়ে অসমান বা অপমানৰ কথা, চীনৰ তিৰোতাই ভৰিপতা মেলুৱা বা খুলি কথা সেই একে সমান অপমানৰ কথা। দুয়ো ক্ষেত্ৰতে আৱৰণে দৰ্শকৰ কল্পনাৰ শিৰশিৰণি

লোকে। চীনত আকৌ বয়সস্থ কুঁৱৰক 'কন্যা' বা মাহুলে কন্যাক খোৱা মাকক উপহাৰ দিয়া অতিশয় সৰ্ব্বজনীন প্ৰথা আছিল। [illegible] চৈনিক [illegible] লৌ [illegible] মাছুহৰ মাংস কাটি বিক্ৰী কৰা হৈছিল, আৰু [illegible] পুৰুষক হেনো কিছুমান মানুহক তেনেকৈ কাটি বিক্ৰী কৰিবৰ কাৰণেই খুৱাই বুলাই যত্নৰে গাহৰিৰ দৰে পোহপাল কৰি ৰখা হৈছিল।

জাপানত 'চেম্বাৰ মেইড' বা গৃহ-পৰিচাৰিকা বুলি ঘৰে ঘৰে কিছুমান ধুনীয়া ছোৱালী থাকে; হোটেলবোৰতো থাকে। [illegible] কৰ্ত্তব্য [illegible] বহু আলাপাৰত [illegible] গা ধুৱাই দিয়া। হোটেল-বোৰত এই ছোৱালীবোৰে কিন্তু অচিনাকী বিদেশী লোকক গা ধুৱাবলৈ লজ্জাত আগ নাবাঢ়ে। সেইটো নীতি-বিৰুদ্ধ। এনে ঘৰতে যুৱতী পৰিচাৰিকাই স্নানাগাৰত সংগোপনে গিৰিহঁতক গা ধুৱাই দিয়া প্ৰথাত ঘৰৰ গৃহিণী-সকলে অলপো দোষ নধৰে। কেতিয়াবা আকৌ স্ত্ৰী-পুৰুষ সকলোৱে একেলগে ঘৰত সোমাই স্নান কৰে। ই লজ্জাৰ কথা নহয়।

বৃটিছ নিউগিনিত আকৌ আদিকোপতি মানুহে ভাবে যে সন্তানে পোনতে মাতৃৰ স্তনতহে স্থিতি লাভ কৰে, তাৰ পিছত সি ক্ৰমে নামি গৈ উদৰস্থ হয়। গৰ্ভ-সঞ্চাৰৰ লগে লগে নাৰীৰ স্তন উন্নত আৰু দুগ্ধপূৰ্ণ হোৱাৰ কাৰণো তেওঁলোকৰ মতে সেয়ে।

অষ্ট্ৰেলিয়াৰ আদিমবাসীসকলৰ ধাৰণা বাতাপা নামৰ ভূতে লম্ভিলেহে নাৰী গৰ্ভৱতী হয়, আৰু কিবা কিছুমান স্থানীয় নিৰ্দিষ্ট গছৰ মাজ থাকেহে সেই ভূতে নাৰীৰ গৰ্ভত প্ৰৱেশ কৰি তেওঁক সন্তানসম্ভৱা কৰে। [illegible] সেই গছবোৰৰ বিবাহিতা নাৰীৰ বৰ প্ৰিয়।

ক° নৰ্মেন হেৱাৰৰ মতে সওদাগৰ আৰু অট্টালিকা [illegible] পাশ্চাত্য সমাজৰ [illegible] আৰম্ভক হলে উদয়। [illegible] আদি বৰ্ণকৰ [illegible] [illegible] প্ৰকাৰ [illegible] কথা আছিল। [illegible] ভিক্টোৰিয়াৰ [illegible] ইংলণ্ডৰ মহিলাসকলৰ [illegible] আকৌ [illegible] [illegible] বুলি [illegible], নহুবা [illegible] [illegible] [illegible] [illegible] কৰা আছিল। [illegible] [illegible] ভবিষ্যতৰ [illegible] [illegible] [illegible] 'কাৰি' [illegible] [illegible] [illegible] নাৰীৰ [illegible]

নিৰ্দিষ্ট সামাজিক প্ৰথা আছিল। আজিৰ যুগত কিন্তু আঁঠুৰ ওপৰলৈকে খুলি ৰাখি পোছাক পিন্ধাটোহে ব্যৱহাৰিক নিয়ম হৈ পৰিছে। তাকে এইদৰে কোৱা যায় যে ৰাণী ভিক্টোৰিয়াৰ যুগত তিৰোতাৰ শৰীৰৰ ক্ষুদ্ৰ অংশ এটিৰ উন্মুক্ত অৱস্থাই পুৰুষৰ কল্পনা যথোচিতভাৱে জগাই তেওঁক আকৰ্ষণ কৰিব পাৰিছিল; আজি তাতকৈ অনেক বেছি দেখিও মানুহ সন্তুষ্ট নহয়।

এস্কিমোসকলৰ মাজত আকৌ পুতেকে বাপেক-মাকক অকৰ্ম্মণ্য হলে হত্যা কৰা ধৰ্ম্মৰ কথা। তাকে নকৰিলেহে তেওঁলোকৰ পাপ হয়। এনেবোৰ প্ৰথাই দেশ-আৰু পাত্ৰভেদে নীতি-নিয়মবোৰৰ কেনে আকাশ-পাতাল পাৰ্থক্য হয়, তাৰেই মাথোন ইঙ্গিত দিয়ে।

(২)

সভ্যতাৰ আদিম অৱস্থাত মানুহে চিকাৰ কৰি বন্যজন্তু খাই বাস কৰিছিল। তেতিয়া মানুহৰ থক আছিল কুকুৰ-শিয়ালৰ থকৰ দৰেই। সেইবাবে যি যেতিয়া পাইছিল, তেতিয়া সোপাসোপে যিমান পাৰে সিমানে খাই লৈছিল, কাৰণ পিছত কেতিয়া আকৌ সি তেনাই ভোক পলাই খাব পাৰিব তাৰ নিশ্চয়তা নাছিল।

চিকাৰৰ অৱস্থা অতিক্ৰম কৰি মানুহে কৃষি-কৰ্ম্মত হাত দিলে। তেতিয়া মানুহ হৈ পৰিল সম্পূৰ্ণৰূপে কৃষিজীৱি। কৃষি-যুগ এৰি মানুহ ক্ৰমে হৈ পৰে শিল্প-জীৱী। এই প্ৰত্যেকটো পৰিৱৰ্ত্তনৰ লগত সভ্যতা, সংস্কৃতি আৰু সামাজিক নীতি-আদৰ্শৰ বিপুল বিপৰ্য্যয় ঘটে।

এটা অৱস্থাত যি কাৰ্য্যক পাপ-কাম বুলি ঘৃণা কৰা হৈছিল, পিছৰ যুগত হয়তো তাকেই পুনৰ প্ৰশংসীয় নীতি বুলি অৱধি লোৱা হৈছিল। যুদ্ধৰ সময়ত নিষ্ঠুৰতা, হত্যা আদি বৰ্জনীয় প্ৰবৃত্তিবোৰকো আদৰ কৰা হয়। জীৱনসংগ্ৰামত টিকি থাকিবৰ কাৰণে সভ্যতাৰ এটা আদিম অৱস্থাত তেনেকৈ আকৌ নিষ্ঠুৰতা আৰু লোলুপতাকেই স্বকীয় গুণ বুলি গণ্য কৰা হৈছিল। সেইবোৰক আজিৰ যুগত পাপ কাৰ্য্য বুলি বৰ্জনীয় কৰা হয়। তেনেকৈয়ে আজিৰ যুগৰ পাপ কাৰ্য্য বুলি পৰিগণিত হোৱা অনেক কাম বহুতৰ সভ্যতাৰ প্ৰগতিশীলতাৰ বক্তি-নিৰ্দেশক কীৰ্ত্তিস্তম্ভ বিলিখিত হোৱা বুলি জাননী

(৩)

মৃগয়াৰ যুগৰ মুকলিমূৰীয়া বতাৰ বেষ্টিয়া জনে কৃষিৰ যুগৰ বহুলীয়া অৱস্থালৈ পৰিবৰ্ত্তিত হ'ল, তেতিয়া মানুহবোৰৰ মৈত্ৰী আৰু প্ৰেম, হিংসা আৰু ধ্বংসতকৈ দয়া আৰু সংৰক্ষণ, [illegible] বেছি [illegible] আৰু শান্তজনক হৈ আহিল। সমাজত তিৰোতাসকলৰ [illegible] আছিল। মৃগয়াৰ যুগত নাৰী আছিল পুৰুষৰ [illegible], [illegible] [illegible] কৃষিৰ যুগত তিৰোতা হৈ পৰিল গৃহ-লক্ষ্মী। [illegible] সেইকাৰণেই [illegible] বিবাহ আৰু গান্ধৰ্ব বিবাহৰ প্ৰচলন আছিল প্ৰচুৰ। পুৰুষে তিৰোতাক বিয়া কৰাই পত্নীৰূপে কিছুকাল ৰখাৰ পিছত বিয়া নাই-কৰুৱে, [illegible] [illegible] এৰি গুচি গৈছিল। তাৰ উদাহৰণ—হিড়িম্বা, চিত্ৰাঙ্গদা, সত্যৱতী, শকুন্তলা আদি।

কৃষি-যুগত তিৰোতা পুৰুষৰ সম্ভোগৰ কাৰণে শয্যা-সঙ্গিনীয়ে নহয়, উপাৰ্জনৰ ক্ষেত্ৰতো প্ৰধান সহায়িকা হ'ল। তেতিয়া নাৰীক অন্য উপায়ে খটোৱাতকৈ বিয়াৰ দ্বাৰা নিজৰ কৰি লৈ খটোৱা বেছি সহজ আৰু কম খৰচৰ কথা হৈ আহিল। বিবাহিত তিৰোতা বহু পৰিমাণে হৈ পৰিল ব্যৱসায়ত খটোৱা মূলধনৰ দৰে। তেওঁলোকৰপৰা গৃহ-পালন, শস্য-ক্ষেত্ৰত সহায় আদি লাভ কৰাৰ উপৰিও সন্তানোৎপাদন হৈছিল, আৰু সেই সন্তানবোৰ শস্যক্ষেত্ৰৰ প্ৰধান সহায়ক হৈ পৰিছিল। [illegible] বয়সৰেপৰা সন্তানে মাক বাপেকক নানা উপায়ে উপাৰ্জনত সহায় কৰিছিল। সিহঁতৰ শিক্ষা-পঢ়াৰ বাবে মাক-বাপেক খৰচাত হব নালাগিছিল। এনেবোৰ কাৰণত জন্ম-নিৰোধ সেই যুগত সম্পূৰ্ণৰূপে নিষ্প্ৰয়োজন আছিল। অকল নিষ্প্ৰয়োজন নহয়, জন্ম-নিয়ন্ত্ৰণ বা জন্ম-নিৰোধ আইন-বিৰোধী আৰু নীতি-বিৰোধী কাম আছিল। ডাঙৰ পৰিয়াল বা [illegible] [illegible] ভগৱানৰ অনুগ্ৰহতহে মানুহে লভিছিল বুলি সমাজৰ ধাৰণা আছিল।

নাৰীসকলৰ ওপৰত [illegible] পৰিয়ালৰ সম্পত্তি আৰু "যৌনতা" নিৰ্ভৰ কৰিছিল। সেইকাৰণে [illegible] [illegible] [illegible] হৈ থাকিব লাগিছিল। [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible]

হব লাগিছিল। সেই কালত শিশু-সন্তানৰ ভৰণ-পোষণ পিতৃ-মাতৃৰ এটা [illegible] দায়িত্ব হৈ পৰিছিল।

(৪)

তাৰ পিছত শিল্প আৰু বাণিজ্যৰ যুগ আহিল। মানুহে কৃষিৰ পথাৰ এৰি দলে দলে নগৰ-চহৰলৈ গৈ ব্যৱসায়ৰ কাৰণে কাম কৰিবলৈ ধৰিলে। তাৰ লগে লগে সমাজৰ নীতি নিয়মবোৰৰো পৰিবৰ্তন ঘটিল। কৃষিৰ যুগত কৃষি বহুখিনি লখাটো সম্পূৰ্ণৰূপে আত্মনিৰ্ভৰশীল হব পাৰিছিল। [illegible] যুগ অহাত তেওঁ ৩০।৪০ বছৰৰ কমে একোণধ্যে নিজক আৰু পৰি-য়ালক পুহিব নোৱাৰাত পৰিল। মানুহৰ জীৱনত আৰ্থিক স্বচ্ছলতা আৰু অৰ্থনৈতিক স্বাৱলম্বনৰ কাল পিছুৱাই গ'ল। লগে লগে মানুহৰ বিয়াৰ বয়সো পিছুৱাই গ'ল। ফলত গৃহত আৰু সমাজত নাৰীৰ স্থান আগৰ কৃষি-যুগৰ দৰে হৈ নাথাকিল। কৃষি-যুগত নাৰীয়ে ঘৰখনৰ ভিতৰৰ বান্ধনি [illegible] আছিল। যন্ত্ৰৰ যুগত তেওঁ হৈ আহিল ক্ৰমে ঘৰখনৰ এটি জীৱন্ত [illegible] সৌন্দৰ্য্য অথবা চলন্ত আকৰ্ষণৰ দৰে। তেওঁ তেতিয়া গৃহলক্ষ্মীৰ ঠাই এৰি হ'লহি এটি আনৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰি চলা মোহনীয়া কোমল প্ৰাণী। আগৰ দিনত তেওঁ যিবোৰ কাম কৰিছিল, সেইবোৰৰ বহুভাগেই এতিয়া কলঘৰত সম্পন্ন হয়, যেনে সূতা কটা, কাপোৰ বোৱা আদি। আজিকালি যন্ত্ৰ মানুহেই সেইবোৰৰ সৰহখিনি কৰে। [illegible] [illegible] শিল্পৰ লাহ-কিলাকত দিন নিয়াবলৈ লোৱাত তেওঁ এতিয়া মাতৃত্বৰ [illegible] লোৱাবা ভাৰখন বহন কৰিবলৈও অপাৰক হৈ আহিল। যেতিয়া [illegible] সেইবিলাক কাম আৰু ঘৰত বোৱা-কটা, ৰন্ধা-বঢ়া আদি কাম কৰিব-[illegible] এবাৰ লগে লগে তেওঁ হৈ পৰিল যেনেই আনমুল, তেনেই [illegible] [illegible]। [illegible] বুঢ়ী-আইহঁতৰ দিনত [illegible] কথা তেওঁলোকে ভাবিবলৈকে আহৰি নাপাইছিল। কিন্তু আজি?

[illegible] যুগত [illegible] [illegible] [illegible] [illegible] [illegible] [illegible]

[illegible] [illegible] [illegible] [illegible] [illegible] [illegible]। [illegible]

[illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible]

[illegible] কৰি [illegible] [illegible] [illegible] [illegible] [illegible] [illegible]

কালিৰ ল'ৰা-ছোৱালী অনেক পৰিমাণে মাক-বাপেকৰ বিলাসৰ সামগ্ৰী বা খেলাৰ পুতলাৰ দৰে হে। গতিকে তেনে ল'ৰা-ছোৱালী যিমানে কম হয়, সিমানে মাক-বাপেকৰ মঙ্গল, বাইজৰ মঙ্গল আৰু দেশৰ মঙ্গল। সেই কাৰণেই এতিয়া সমাজৰ প্ৰতিপত্তিশীল আৰু সুশিক্ষিত লোকসকলে অতি কম সংখ্যক সন্তানৰ পিতৃত্ব গ্ৰহণ কৰি [illegible] পৰিবৰ্তন হৈছে। আগৰ দিনত যি জন্ম-নিৰোধ বা সন্তান-নিয়ন্ত্ৰণ পাপৰ কাম আছিল, সি আজি সমাজৰ গ্ৰহণীয় নীতি, বৰণীয় ব্যৱস্থা আৰু কৰণীয় কাম হৈ পৰিছে। সমাজ আৰু ব্যক্তিৰ জীৱনৰো নীতি-নিয়ম আজিৰ বৈজ্ঞানিক উপায়ৰ জন্ম-নিৰোধে ওলট-পালট কৰি দিছে। এনে বৈজ্ঞানিক প্ৰণালীয়েই আজিৰ যুগত দূৰ অতীতৰ সমাজৰ প্ৰয়োজনীয় আবৰ্জনা হিচাপে চলি অহা গণিকা প্ৰথাও উৎপাটিত কৰিবলৈ লৈছে। ইফালে অবিবাহিত আৰু ডাঙৰ বয়সত বিয়া কৰোৱা বিবাহিত লোকৰ সংখ্যাও সমাজত সেই অনুপাতে বাঢ়িব লাগিছে। কাৰণ, সংস্কৃত শ্লোক এটা কিন্তু আছে, 'অৰ্কে চেৎ মধু বিন্দেত কিমৰ্থং পৰ্বতং ব্ৰজেৎ'—আকণৰ গছতে মৌ পালে পৰ্বত বগাবলৈ কোনে? ফলত দায়িত্বহীন উপভোগে ক্ৰমে স্বীকৃতি আৰু বিস্তৃতি লাভ কৰিছে।

নাগৰিক জীৱনে বিবাহ-বন্ধন নানা উপায়ে শিথিল কৰাত ডাঙৰ বয়সৰ আৰম্ভতহে বিয়াৰ সংখ্যা দিনক দিনে বাঢ়িছে। দীৰ্ঘ কাললৈ অৰ্থ-নৈতিক দায়িত্বৰ সামৰ্থ্য নোপোৱাই তাৰ [illegible] কাৰণ। ফলত যৌৱনৰ প্ৰাচুৰ্য আৰু শাৰীৰিক উত্তাপে যুৱক-যুৱতীসকলক বৈজ্ঞানিক প্ৰণালীৰ সহায়ত [illegible] জীৱন উপভোগ কৰিবলৈ বাধ্য কৰিছে। বিয়াৰ পূৰ্বেই যৌৱন উপভোগ কৰা অভ্যাস অৱশ্যে পশ্চিমীয়া সমাজত আৰু পাশ্চাত্য শিক্ষা-দীক্ষাৰ জৰিয়তে অনেক লোকৰ মাজত আৰম্ভ আৰু প্ৰসাৰিত হৈছে। জন্ম-নিৰোধৰ বৈজ্ঞানিক উপায়বোৰেই প্ৰাচীন গণিকাবৃত্তিৰ [illegible] প্ৰয়োজন এনে প্ৰভাৱ [illegible] কৰিব ধৰিছে। সেই দিশেৰে চালে ইয়াৰ উপকাৰিতাও অস্বীকাৰ কৰিব নোৱাৰি।

[illegible]

হোৱালীক তেওঁৰ জীৱন-সঙ্গিনীৰূপে। ইয়াক পুৰুষৰ জন্মগত স্বাৰ্থপৰতা বা যৌৱনৰ চঞ্চল বুভুক্ষা বুলি ব্যাখ্যা কৰা যায়। প্ৰেম আৰু যৌন-সম্ভোগ বিষয়ত পুৰুষে সদায় আপোনপেটীয়া ভাব দেখুৱাই আহিছে। তেওঁৰ মতে তেওঁৰ পত্নী হব লাগে পতিপ্ৰাণা, পতিভক্তা, পতি অনুৰক্তা সতী, তেওঁ নিজে লাগিলে সিমানে যিমানেই চৰিত্ৰহীন লম্পট নহওক।

(৫)

যৌন সম্বন্ধৰেই এটা বিশিষ্ট ৰূপ হৈছে বিবাহ-বন্ধন। সমাজত যৌন সম্বন্ধ নিৰ্ণয় কৰি দিয়াই ইয়াৰ মাই কাম। ইয়াক সন্তানৰ মঙ্গলৰ কাৰণে পুৰুষ-স্ত্ৰীৰ মাজত হোৱা সম্বন্ধ বুলিব পাৰি। ই পৰিবৰ্তন-সাপেক্ষ অনুষ্ঠান আৰু সময়ৰ সোঁতত ইয়াৰ নানা প্ৰকাৰ পৰীক্ষা চলিবই লাগিছে।

বনমানুহ আৰু গৰিলাগিবনকেই আমাৰ পূৰ্বপুৰুষ বুলি বহুতে কয় লোকে। সি যি নহওক, গৰিলা আৰু বনমানুহবোৰৰ মাজত কিন্তু পুৰুষ-স্ত্ৰীৰ সম্বন্ধ অতি আচৰিতভাৱে কঠোৰ। সন্তানকেইটাক লগত লৈ সিহঁতে বুঢ়া কাললৈকে সংসাৰ কৰে। অসংযত স্বভাৱৰ স্ত্ৰীক সিহঁতে কঠোৰ শাস্তি দিয়ে।

সভ্যতাৰ আদিম অৱস্থাত পুৰুষ-স্ত্ৰীৰ মাজত অসংযত যৌনাচাৰ প্ৰায় সকলো দেশতে আছিল। কটিয়াৰ অনেক জাতিৰ লোকৰ মাজত নাৰীৰ নিৰ্দিষ্ট পতি থকাটো সেই কালত দোষৰ কথাই আছিল। আফ্ৰিকাৰ পিগ্মিবোৰৰ মাজতো বৈবাহিক বন্ধন সমূলি নাছিল। মধ্য এচিয়াৰ কেমিৰা নামৰ এটা জাতিৰ মাজত তেনে পত্নিকাত সৰ্বজন-সম্মতভাৱে এই নীতি চলি আছিল যে যদি কোনো বিবাহিত পুৰুষে ঘৰ এৰি দূৰলৈ [illegible] তেন্তে তেওঁৰ পত্নীয়ে অন্য পতি লৈ [illegible] কৰা আইনসঙ্গত হয়। [illegible] যোৱা [illegible] পত্নিয়েও [illegible] পৰে তেওঁৰ অন্য পত্নী [illegible] কৰিব পাৰিছিল।

[illegible]

[illegible] আছিল অন্যতম। নাৰীক অৰ্থ-সম্পত্তিৰূপে দান কৰা হৈছিল, আৰু অৰ্থ-সম্পত্তিৰ বিনিময়ত কিনি অনাৰো ব্যৱস্থা আছিল। এইবোৰ প্ৰথাৰ কিছু আভাস আজিও আমাৰ সমাজৰ পৰা-পৰা [illegible] পোৱা যায়। সমাজত গণিকা অনুষ্ঠানেও, বিবাহ, [illegible]।

এনে এটা যুগো আছিল, যেতিয়া নিৰ্দিষ্ট ব্যক্তিৰ কিছু কোনো নাৰীৰে অক্ষতযোনিত্বৰ (Virginity) কোনো মূল্য দিয়া হোৱা নাছিল; তেতিয়া নাৰীৰ ভাগ্য নিৰ্ণয় কৰিছিল সন্তানৰ মাতৃত্ব গ্ৰহণ কৰিব পৰা শক্তিয়েই। বিয়াৰ পূৰ্বে সেই বাবে নাৰীৰ মাতৃত্ব গ্ৰহণৰ শক্তি সম্পৰ্কে বিশেষভাৱে সতৰ্ক অনুসন্ধান চলোৱা হৈছিল। কোনো কোনো সমাজত সন্তানযুক্ত বা সন্তান-সম্ভৱা নাৰীক আগ্ৰহেৰে পত্নীৰূপে গ্ৰহণ কৰা পুৰুষৰ কৰ্তব্যস্বৰূপ হৈ পৰিছিল; কাৰণ তেনে নাৰী যে বন্ধ্যা নহয়, সেই সম্বন্ধে সন্দেহৰ থল নাছিল। তিব্বতত সৌ—সিদিনালৈকে মাক-বাপেকে নিজৰ যুৱতী কন্যাৰে সৈতে কোনো শক্তিমান যুৱকৰ সঙ্গম ঘটাব পাৰিলে ধন্য মানিছিল। মালবাৰত যুৱতী ছোৱালীয়ে বাটে-পথেও নতুন ডেকাৰ ৰমণ ভিক্ষা কৰা একো আচৰিত কথা বা ৰীতি-বিৰুদ্ধ প্ৰথা নাছিল; কাৰণ তাত অভুক্তা নাৰীৰ সহজে বিয়া নহৈছিল।

সতীত্ব নাৰীৰ পৰৱৰ্তী যুগৰহে গুণ। কালক্ৰমত নাৰীৰ অক্ষত বা অভুক্ত অৱস্থা যোৰ শুচি গুণত পৰিণত হ'ল। ব্যক্তিগত সম্পত্তিয়ে এই গুণৰ জন্মদাতা; কাৰণ সম্পত্তি-ৰক্ষাৰ কাৰণে সন্তানৰ ওপৰত গুৰুত্ব দিয়া হ'ল। পিতৃৰ ঔৰসত জন্ম লাভ কৰা বৈধ সন্তানেহে সম্পত্তিৰ অধিকাৰী হোৱাৰ ব্যৱস্থা চলিল; কিন্তু আচৰিত কথা এই যে নাৰীৰ ক্ষেত্ৰতহে এই কঠোৰতা আহিল, পুৰুষ কিন্তু সেই বিষয়ত স্বাধীন হৈয়ে থাকিল।

বস্ত্ৰ-আভৰণো সভ্যতাৰ যুগৰ অপেক্ষাকৃতভাৱে নতুন বস্তু। স্থান ভেদে ইয়াৰ ব্যৱহাৰৰ পাৰ্থক্য হয়। লিভিংষ্টন চাহাবে যেতিয়া পোনতে চোলা পিন্ধি আফ্ৰিকালৈ গৈ আফ্ৰিকাবাসীসকলক কাপোৰ পিন্ধাৰ কথা কয়, তেতিয়া তেওঁৰ লগত তেওঁৰ পত্নীও আছিল। তেওঁলোক দুয়োকো কাপোৰ পিন্ধি থকা দেখি আৰু তেওঁলোক দুয়ো সিহঁতক কাপোৰ পিন্ধিবলৈ কোৱা শুনি নিগ্ৰোবোৰে বাগৰি বাগৰি হাঁহিছিল। আনকি মেলোভাৰ ৰাণীয়ে (Queen

এ 'Bikini-ৰ') লিভিংষ্টনক 'নিষিদ্ধ' কৰি নি 'বাকীখিনিত' অভ্যৰ্থনা কৰোঁতেও হেনো নাৰী সম্পূৰ্ণ বিবস্ত্ৰা আছিল। উলঙ্গ হোৱাটো তাঁত কোনো দোষৰ কথায়ে নাছিল।

আজিও অনেক ঠাইত নাৰীয়ে স্তন অনাবৃত কৰা 'দোষৰ কাম নহয়'। অনেক ঠাইৰ শিক্ষিতা গাভৰুৱে নিজ নিজ স্তন-সৌন্দৰ্য্যৰ সুৰক্ষিত প্ৰদৰ্শনী কৰি আজিৰ যুগত আনন্দ আৰু গৌৰৱ অনুভৱ কৰে; কিন্তু আমিয়া ছিৰোতাকে ভিতৰ কৰি আজিৰ অনেকে আধৌ-ভিতৰ বুকু বা শৰীৰৰ সৌন্দৰ্য্য প্ৰদৰ্শন কৰাটো নীতি-বিৰুদ্ধ, ধৰ্ম-বিৰুদ্ধ আৰু লজ্জাজনক আচৰণ বুলি ভাবে। অসমীয়া নাৰীৰো ফিহা-মেখেলা আদি জাতীয় পোছাক-পৰিচ্ছদ তাকেই সমৰ্থন কৰে।

এনেবোৰ পৰিবৰ্তনৰ পৰ্য্যবেক্ষণ আৰু আলোচনা আমোদজনক অধ্যয়ন। এইবোৰ বুৰঞ্জীৰ কথায়ে নহয়, নিৰ্ঘাত সত্য বিৱৰণ। জীৱন আৰু জগত বাস্তৱক হেঁচাচেপা দি ৰখা নাযায়; ইয়াক মনন, চিন্তন আৰু পৰ্য্যবেক্ষণৰ দ্বাৰা পৰিবৰ্তন কৰা যায়। কালৰ সোঁতত তেনে পৰিবৰ্তন ঘটিবই লাগিছে আৰু ঘটি থাকিব।

বিহুগীতত [illegible] নীতি

বাৰিষা আহিলে বুঢ়া গছবোৰো নাচোন উঠে। বসন্তৰ আগমনত গছ-লতাত নতুন পাত-ফুল ধৰে। চৰাই চিৰিকটিৰ আনন্দ-মুখৰিত কণ্ঠত ৰাতি বন খলক লাগে। যৌৱন কাল উপস্থিত হলে যুৱক-যুৱতীৰ অন্তৰতো আনন্দৰ হিল্লোল উঠে। প্ৰেমৰ পিৰপিৰণিত স্বৰ্গলোকে তেতিয়া কল্পনাত তাহি ফুৰিবলৈ আৰু পায়; জগতত নথকা সৌন্দৰ্য্য য'তে ত'তে দেখিবলৈ পায়, ছন্দোময় গীতৰ অপূৰ্ব্ব লহৰী য'তে ত'তে শুনিবলৈ পায়। গীতৰ লগত সুৰ মিলাই নাচোন দিবলৈ সেই সময়ত ডেকা ডেকেৰীৰ ভৰি দাং খাই উঠে।

বিহুগীতো তেনেকুৱা তেজ উতলা কৰা, মন-প্ৰাণ বাউল কৰা বসন্তৰ গীত; মুক্ত-যৌৱনৰ কাম-গন্ধী গীত। উতলা বসন্তৰ আগমনত, চতৰ বিহুৰ আৰম্ভণত তাহানি প্ৰকৃতিৰ লগত হলি-গলি কৰি থকা মুকলিমুৰীয়া জনজাতীয় লোকসকলে এই কাল ভোগৰতে জীৱনৰ সঙ্গী বা সঙ্গীনী নিৰ্বাচন কৰি লবলৈ সুযোগ লভিছিল। নৃত্য-গীতৰ বোলত মুখৰিত হোৱা মুকলি ময়দান বা পথাৰ, মৃদুগন্ধী গছ-লতাৰ তল, পৰ্ব্বতৰ নিৰ্জ্জন তৰুভূমি আদিবোৰেই আছিল সঙ্গী নিৰ্ব্বাচনৰ আদৰ্শ স্থল। গীতত অশ্লীলতা নৃত্যত দৈহিক কামুকতা এই নাচ-গান বোৰত এনে স্পষ্টভাৱে প্ৰকট হয় যে কলা-সৌন্দৰ্য্যৰ কথা বাদ দিলে সমস্ত অনুষ্ঠানটোকে কেতিয়াবা সমাজত গ্ৰহণ কৰিবলৈ টান হৈ পৰে। বস্তুতঃ এনে কাৰণতে এসময়ত বিহুগীতৰ চৰ্চ্চা অসমৰ তথাকথিত শিক্ষিত সমাজত পৰিবৰ্জ্জিত আছিল। সময়ৰ সোঁতত বহিৰঙ্গতৰ প্ৰতি শিক্ষিত সমাজৰ দৃষ্টি-ভঙ্গীৰ পৰিবৰ্ত্তন ঘটাত আজি তেনে আৰু ক্ৰমে আঁতৰিব ধৰিছে, আৰু বিহু-নাচ আৰু বিহু-গীতক ৰুচি সভাতো প্ৰবেশ লাভ কৰিছে; অসমৰ এটি পুৰণি অনুষ্ঠানৰ পুনৰ্জ্জীৱনৰ পথ মুকলি হৈছে। "নৃত্য-গীতৰ অশ্লীলতা [illegible] [illegible] [illegible] এতিয়া শিক্ষিত সমাজৰ [illegible] [illegible] ভুলি অনুষ্ঠান কৰিবৰ আয়োজন [illegible] আছে।" [illegible]

সেওগ)। বিজ্ঞানৰ ক্ৰমাগত উন্নতিয়ে মানুহক অধিকতৰ বিশ্লেষণ-প্ৰৱণ আৰু যৌনচিন্তাপ্ৰিয় কৰি তুলিছে। তাৰেই প্ৰতিধ্বনি সমাজতো বাজি উঠিছে। সমাজেও তেনে চিন্তাৰ পথেদিয়ে গতি লৈছে।

টেঙা-কল তেলত সিজি বা মজি সুস্বাদু আচাৰ হোৱাৰ দৰে এই গীত-মাতবোৰো প্ৰেমৰ আশা-আকাংক্ষা, চুৰি-চকুৰাদি, হাঁহি-চুপতি আদিৰ ৰসত সিজি তেকা মনৰ সুস্বাদু বস্তু হৈ পৰিছে।

গ্ৰীচৰ আৰ্কিয়েলাচ নামে ঠাইৰ শিলৰ স্তম্ভত খোদিত থকা "‥ হে পথিক! খোৱা, পিয়া আৰু প্ৰেম কৰা; কাৰণ অন্য কোনো কাম ইয়াৰ নিচিনা হব নোৱাৰে"[১]—বোলা কথাৰ দৰে বিহুগীতেও [illegible]-পাতনিৰ আদি মেৰভাৰ প্ৰেমৰ আদৰ্শকে নৃত্য-গীতত সোনতে ৰূপায়িত কৰিছে—

প্ৰথমে ঈশ্বৰে পৃথিৱী সৃজিলে
জগতে সৃজিলে জীৱ।
সেইজন ঈশ্বৰে পিৰীতি কৰিলে
আমি বা নকৰিম কিয়?

গীতফাকি যেন তাহানি ইডেন উদ্যানত আডাম-ইভৰ ভিতৰত হোৱা প্ৰেমাভিনয়কে লৈ নতুবা বৃন্দাবনত হোৱা গোপী-কৃষ্ণৰ লীলাখেলাৰ প্ৰতি লক্ষ্য ৰাখিহে ৰচনা কৰা হৈছে! তাৰে ব্যঙ্গ ৰূপ এটা লৈ আধুনিক বিহুগীত একাকি ৰচিত হৈছে—

গদাধৰ তিলকে পিৰীতি কৰিছিল
গান্ধীয়ে কৰিছিল প্ৰেম;
তোমালৈ চাওঁতে ভলমূৰ কৰিলা
তোমাৰহে ইমানটো তেম্।

বিহুগীতৰ প্ৰেমে তোপৰ পূৰ্ণতাৰ বাজেৰি পৰিতৃপ্তি লাভ কৰা নাই। আকাংক্ষা আৰু ব্যৰ্থতাকেই ৰূপ দিহে ই সাৰ্থকতা লভিছে; কিন্তু সেই-বুলি ৰাসক্ৰীড়াৰ বিৰহ-জ্বালাও ইয়াত নাই। এইক্ষেত্ৰতে মিলন আগতে নহলে বিৰহৰ প্ৰশ্ন উঠিবও নোৱাৰে। বিৰহ সদায় মিলনৰ পিছৰ কথা। ৰাসক্ৰীড়াত কৃষ্ণ-বিৰহত গোপীসকল বিহ্বল হৈ পৰিছিল আৰু বিৰহৰ সেই চুটিচুটি গীতৰ প্ৰতিটো শব্দতে ধ্বনিত হৈছিল। বিহুগীতৰ মূল ভাব কিন্তু আহ্বানহে, 'বিৰহ' নহয়। যি বিৰহ আছে তাক [illegible] বুলি

উঠিছে, সিও পৰিতৃপ্তিৰ অন্তত পুনর্মিলনৰ আকাঙ্ক্ষাত ওপজা গোপীসকলৰ বিৰহ নহয়। ই বুকুত ভয় লৈ চোৰৰ দৰে লুকাই লাভ কৰা কৃপণৰ বিৰহ! সমাজৰ চকুত ধুলি দি মনত সন্দেহ আৰু দ্বিধাৰে ভোগ কৰা প্ৰেমিকৰ বিৰহ!!

বিহুগীতৰ পিৰীতিয়ে পূর্ণতা লভিবলৈ উধাও হৈছে, ঠিক পৰ্ব্বতীয়া নিজৰাই লক্ষ্য বিচাৰি যাত্ৰা কৰোঁতে শিলত বাধা পাই ধ্বনি-প্ৰতিধ্বনিৰ সৃষ্টি কৰাৰ দৰে, নানান ভাবৰ হেন্দোলনি তুলিছে। এই পিৰীতিৰো জন্ম পশ্চিমৰ উৰণীয়া প্ৰেমৰ জন্মৰ দৰেই প্ৰথম দৃষ্টিত ওপজা প্ৰেমত (Love at first sight)।

ওপৰে উৰি যায় কালিন্দী ভোমোৰা
খিয় হৈ আছিলোঁ চাই;
তোমাৰে আমাৰে পিৰীতি লাগিলে
চকুৰে চকুৰে চাই॥

(২)

যৌৱনেই বিহুগীতৰ মূল সম্বল। যৌৱনৰ বুকুভৰা আশা আৰু মিলন-বাসনা বিহুগীতৰ প্ৰাণস্বৰূপ। চিৰ-চিৰকৈ বৈ থকা জুৰি কিছুমান শিল বা বালিৰ প্ৰতিবন্ধকত নাইকিয়া হৈ পুনঃ বহুত দূৰত আপোনা-আপুনি ফোৰাবাৰ দৰে বৰলৈ ধৰাৰ নিচিনাকৈ বিহুগীতৰ আশা-অভিলাষেও পোনতে স্বাভাৱিক গতিত প্ৰবাহিত হৈ ঘাত-প্ৰতিঘাতৰ প্ৰতিবন্ধক পাই তোৰাং পিৰীতিত পৰিণত হৈছে।

তোমাৰো যৌৱন কাল আমাৰো যৌৱন কাল
যৌৱন কাল নাথাকে বৈ;
এইছেন যৌৱন কাল বাধলৈ ওলালে
পিৰীতি নকৰা কই।

• • •

ধন যেন দেখোঁ মই তোমাকে বহনা
প্ৰাণ যেন দেখোঁ মই তোমাক;

কেঁচা খুমতিত হেৰায় যেন দেখিলোঁ
কাক পাই তেজিলা আমাক।

• • •

চৰাইহাগী বিলতে চৰাইটি পৰিলহি
মাছ আহি পৰিলহি জালত;
বাতিৰ ভিতৰত সপোনত দেখিলোঁ
মাথি হৈ চুমা খাই গালত।

• • •

গজে পানী খালে হেৰোঙে দৈয়াঙে
খোৰাই পানী খালে বৈ;
ধনে পানী খালে পিৰীতি নিজৰাত
থিয় গৰাত খোপনি লৈ।

ডায়ৰৰ বুকুত বিজুলী জিলিকাৰ দৰে প্ৰেমৰ পথত অন্তৰায় ওলাই মিলনৰ আকাশ কেতিয়াবা উজ্জ্বল আৰু কেতিয়াবা মলিন কৰি তোলে। আশা নিৰাশাৰ লুকাভাকুত পৰি প্ৰেমিকাৰ মনে তেতিয়া ন-ন তত্ত্ব আৰু তথ্যৰ সৃষ্টি কৰে। তলৰ গীত কেইফাকিয়ে তাৰ সাক্ষী—

চাই থাকিলেও, হাবিয়াহ নপলায়
নাখালে ঘুগুচে ভোক;
যেনে বালিঘাটৰ ভোলানো বেজেনা
দলিয়াই দি যাবি মোক।

• • •

হাঁহ হৈ পৰিম গৈ তোমাৰে পুখুৰীত
পাৰ হৈ চৰিম গৈ চালত;
বীৰা হৈ ধৰিমে তোমাৰে শৰীৰত
মাথি হৈ চুমা দিম গালত।

• • •

তুমি প্ৰাণেশ্বৰী প্ৰেমৰে পুতলা
কোলাতে বহুৱাই লম;

যাৰ শতুৰলৈ ভয় নকৰিবা
কাপোৰ দি লুকুৱাই থম।

• • •

তোমালৈ চাওঁতে তেওলা দিওঁতে
বিন্ধিলে অথৈয়া হলে;
তোমাৰ মনে থাকে আমাৰ মনে থাকে
কি কৰিব কলিজা জুলে।

• • •

ক'লৈনো গৈছিলি হেৰেই পানেসই
ঘৰতো ৰন্ধনো মাত;
ক'লৈকো যোৱা নাই বুকুৰে বহনা
বহি বৈ আছিলোঁ। তাঁত।

• • •

ক'লৈ বা এলনী ক'লৈ বা গেলনী
মোকে গৰুবাটত থৈ।
কোনোবা মুনিহে ফুচুলাই নিবগৈ
কলিয়া তোমোৰা হৈ॥

• • •

আলিবাট যেঁলাতী চাকিফুল পিন্ধতী
কথাঁলৈ নৈ
মাৰে তোৰ আছিলে চন্দ্ৰ ৰূপ চৰোৱা
তইনো কিয় হৰি আন।

০ ০ ০

হেৰ' বগী বাই কলগুৰ গুৰা পাই
ৰঙা মাটিৰ মাৰিলি কোট;
অজলা ল'ৰা পাই পাহৰাই পেলালি
কেইটা সলালি মোট।

(৩)

তাৰ পিছত উত্তৰ হোৱা আশা-আকাঙ্ক্ষাৰ মাজৰ অৰিয়া-অৰি, উত্তৰা-উত্তৰি আৰু কথাৰ কটা-কটিবোৰ আৰু বেছি ৰমণীয়। এইবোৰক পিৰীতি-পথৰ দ্বিতীয় পদক্ষেপ বোলা যায়। দুই একোটা উদাহৰণ দিয়া যাওক—

চ'তে মহীয়া ৰংহে চৌএ চৌএ
ফিৰো দুপৰীয়াৰ ভোক;
তিয়ঁহো নহলি ছিৰালো নহলি
কেঁচাই খালোহেঁতেন তোক।
কোৱাই কা নকৰা ঝিলি ঝা নকৰা
শদিয়া পাৰবে আলি;
কেঁচাই খাওঁ কেঁচাই খাওঁ নকৰা বহনা
নহওঁ মই তিয়ঁহৰ জালি।

o o o

মাৰে নিদিয়ে বাপেৰে নিদিয়ে
তোমাৰ আহিবৰে মন;
তোমাক আনিবৰে মোৰো মন আছিলে
হাতত নাইকিয়া ধন।

ইয়াৰ পাছত মনৰ মাজৰ প্ৰতিদ্বন্দ্বিতাবোৰ কাতি কৰি থৈ প্ৰেমিক-প্ৰেমিকাই প্ৰেমৰ পথত নিশ্চিতভাৱে, দৃঢ়ভাৱে আগবঢ়িবলৈ সাহ কৰে। তেতিয়া দুয়ো জীৱন-যাত্ৰাৰ অভিলাষত পৰিকল্পনা হাতত লয়—

জোনে ওলালে ওলায় ঐ তৰাবন
জোনৰে মুখলৈ চাই;
তুমি যে ওলালে ওলাম মই বৰুৱা
পইতা জকৰা খাই।

o o o

ধাৰীৰে আৰণছ তিনি কেৰেঙীয়া
তাতে বহি মাতিলে তুলি;
পখুলি বেলিকা আহিবা আহৰী
চালনি আনোতে খুলি।

o o o

ৰভাহৰ ছাটিতে গোন্ধায় মূলে মলি
কাৰ বাৰীৰ জনীয়া আয়;
ৰবাগৈ ৰবাগৈ পুলি ধৰৰ তলতে
হুয়ো একেলগে যাম।

o o o

প্ৰশ্ন— কাঁহৰে বাটিটো টেঙেৰাই উঠিলে
নেজানি বুলিলো কোন;
আহিব দিছিলো গধুলা পৰতে
ভটিয়াই গ'লগৈ জোন।
উত্তৰ—যেতিয়াই মাতিলা তেতিয়াই আহিলো
তুমি খাই আছিলা ভাত;
ভমকাফুলীয়া বৰষুণ দিছিলে
মূৰত বৰকচুৰে পাত।

o o o

জাজী নৈ সাঁতুৰি পাণ যে আনিলো
কোবেবে কাটিলোঁ চালি;
তিনি ঘৰ বিচাৰি চুণ একণ নাপালোঁ
সেই গুণে নাহিলোঁ কালি।
কালি যে নাহিলা তালকে কৰিলা
শুবলৈ নাছিলে ঠাই;
যোৰে যোৰে কৰি আলহী শুইছিলে
মোৰ লগত শুইছিলে আই।

• • •

তোকে আনিবৰে মোৰে মন গ'ল
তোকে কেনে কৰি পাম;
যাম পানী ঘাটত নিবি ধৰি হাতত
ময়ো কান্দি-কাটি যাম।

• • •

গুপ্ত-প্ৰণয়ৰ স্বৰ্গ-পথ সদায় কণ্টকময়। তাত আশাৰ বোজা বুকুত বান্ধি মিলনৰ লক্ষ্যস্থললৈ অগ্ৰসৰ হওঁতে প্ৰতিবন্ধক অনেক ওলায়। কেতিয়াবা এন্ধাৰত জোপাটোৰে হাতীটো হৈ ভয় খুৱায়; কেতিয়াবা ছাঁ-টোৱে বাঘটো হৈ শঙ্কাতুৰ অন্তৰত আতঙ্কৰ সৃষ্টি কৰে। অনুৰাগপূৰ্ণ পিৰীতিয়ে কেতিয়াবা তেনে অৱস্থাত অপথেদিও গতি কৰে। সেই সময়ত মনৰ উদ্ভাৱনী শক্তি বাঢ়ি যায়। তেতিয়া আৰম্ভ হয়—

চেনু চাই পিৰীতি কৰিবা সাদৰী
সময় চাই লগাবা মাত;
শতুৰুক দেখিলে ককাইদেউ বুলিবা
ভিতৰি বুলিবা নাথ।

• • •

এই পিনে কোন গ'ল ধৰমৰ ধন গ'ল
মূৰত সোণোৱালী টুপী;
আছে সাত শতুৰু মাতিব নোৱাৰোঁ
চাওঁ বেৰ-জলঙাই জুপি।

• • •

কাঁউৰীৰ শতুৰু মুগা চুঙীয়া
পখিৰ নিদিয়ে ডালত;
আমাৰে বোপায়ে আমাৰো শতুৰু
ফুৰিব নিদিয়ে গাঁৱত।

• • •

হাঁচতী লাহৰে টৌমিটি কাঁহৰে
কটাঁৰীত মহৰে শিং;
আমাৰ পদূলিত তামোল নাকাটিবা
বাহলিত ৰবিব চিন।

• • •

চাপৰে জেওৰা জিনি জপীয়া
তাকলৈ মাৰিবা জেও;

বুকু ভাঠে কৰি আহিবা মইনা
ঘৰত নাইকিয়া কেও।

(৪)

ন ন বুদ্ধি চাল্দি নতুন পথ অৱলম্বন কৰি আগ বাঢ়ি যাওঁতেও কেতিয়াবা নিৰাশাৰ মৰুময় বতাহে প্ৰেমিক-প্ৰেমিকাৰ পৰিকল্পনাক ধাম্সী-ভূত কৰি উৰুৱাই নিব খোজে। তেতিয়া চকুলোৰে বাট নেদেখা হৈ প্ৰেমিক-প্ৰেমিকাই হতাশাৰ ছমুনিয়াহ ছাৰি আওৰায়—

আহুধানৰ মৰণা পেলাই দে লগৰী
জোকাৰি পেলাই দে খেৰ।
মাৰে জানিলে বাপেৰে জানিলে
মোলৈ মৰম-বেথা এৰ।

উত্তৰত—আয়ে জানক ঐ বোপায়ে জানক ঐ
জানক সোদৰৰ ভাই;
তোমাৰ চেনেহ বেথা এৰিব লাগিলে
মৰিম কণীবিহে খাই।

তাৰ পিছত গত্যন্তৰ নেদেখিলে বিহুৱতীয়ে প্ৰকৃততেই অবৈধ উপায় অৱ-লম্বনৰ দ্বাৰা কাৰ্য্যসিদ্ধি কৰিবলৈ বাধ্য হয়। তেতিয়া শ্লীলতাৰ মথাউৰি ভাঙি সঙ্গীতৰ মধুৰ ছন্দত কলাই আছে—

হাত মেলি নাপালোঁ তুবুকী লতা মই
ভৰি মেলি নাপালোঁ পাটী;
অতি চেনেহেৰে পিৰীতি কৰিলোঁ
শুবলৈ নাপালোঁ ৰাতি।

০ ০ ০

ধন যেন দেখোঁ মই তোমাকে বহনা
প্ৰাণ যেন দেখোঁ মই তোমাক;
কেঁচা ঘুমতিত হেঁবায় যেন দেখিলোঁ
কাক পাই তেজিলা আমাক?

০ ০ ০

অজাতি কুকুৰা   থাক দুৱাৰ চুকত
ভুকুৰাই মাৰিমে তোক;
ৰাতি নৌ পুৱাওঁতে   কিয় ডাক দিলি
ধনে এৰি গ'লে মোক।

০   ০   ০

চতিয়ানৰ ওপৰত   বেলি যাবে গলে
ঘিলা যাবে গলে ফাকত;
তোমাৰে আমাৰে   কথা যাবে গলে
প্ৰথম কুকুৰাৰ ডাকত।

০   ০   ০

আকাশৰ চন্দ্ৰমা   নাপাওঁ হাতে মেলি
মাটিত মাৰি গলোঁ হেঁচা;
সাৰ পাই থেপিয়াওঁ   মোৰ ধন কাষত ন'াই
এফাল চাৰি-পাটী চেঁচা।

০   ০   ০

ছাটিৰে পানীৰে   চেলেং তিতি গ'ল
দুৱাৰ মেলি দিয়া সোমাওঁ;
জাৰও লাগিছে   বতাহো লাগিছে
জুই ধৰি দিয়া ফুৰাওঁ।

পখাছিঙা বিপথ-গামী পিৰীতিয়ে তেতিয়া নীতি-নিয়মৰ ডেওনা ডেই গৈ সমাজৰ বাধা-নিষেধ নামানি তেনেই উদণ্ডীয়া হৈ পৰে। মানুহৰ তেজ দাঁতত লগা বাঘৰ সাহ-পিত চতুৰ্গুণে চৰে হেনো। পবিত্ৰ পিৰীতিৰ নিজৰাত পানী খাই বাঢ়ি অহা প্ৰেমিক-প্ৰেমিকাবো তোকাতুৰ মন বিপথ-গামী হলে অনুৰূপ হয়। তেতিয়া পগলা শিয়াল-কুকুৰে যাকে তাকে আক্ৰমণ কৰাৰ দৰে প্ৰেমিক-প্ৰেমিকাৰ মনেও বিপথগামী হৈ অলিয়া-বলিয়া খকিবলৈ ধৰে। কল্পনা তেতিয়া উতনুৱা হয় আৰু চিন্তা আৰু কাৰ্য্যই স্বকীয় সীমাৰেখা অতিক্ৰম কৰে। তেতিয়া দুখৰ মাত হুফুটা বিধোকা গাভৰুবো মুখেদি গীত বাহিৰ হয়—

বাইৰে মৰমে নাজানা ভিনিহি
ঘপৰাই মাৰিলা ভুকু ;
বাইৰে সলনি মোকে লই যোৱা
সোণেৰে বন্ধোৱা বুকু ।

o o o

আমনি ধানকে ডাবলৈ গৈছিলোঁ
বাউলী বজাইছে শালে ;
কাচি দলি মাৰি হাবিতে সোমালোঁ
ওঁঠতে বৰলে খালে ।

ওঁঠত কি বৰলে খালে সেই কথাৰ ভাঙনি নিষ্প্ৰয়োজন। এনে অবৈধ প্ৰণয়ৰ ক্ষেত্ৰত সকলো সম্ভৱ হয়। মন্ত্ৰ, আহুদি আদিৰ সহায়ত অবৈধ প্ৰেমক বিধি দিবলৈ যত্ন কৰাৰ উদাহৰণ গাঁও-ভুঁইত নতুন কথা নহয়। বিহুগীততো নিচিনা দৰবৰ সহায়ত তেনে অসম্ভৱ কাম সম্ভৱ কৰাৰ ইঙ্গিত আছে।—

কোবাই যে বগৰি সৰক মোৰ চেনেও ঐ
কোবাই দে বগৰি সৰক ;
নিচিনা দৰবক আনি দিম কনেও ঐ
খুৱাই দিবি বেইতা মৰক ।

• • •

বেইতালৈ নকৰোঁ ভয়ে মোৰ চেনেও ঐ
বেইতালৈ নকৰোঁ ভয় ;
কটাৰ লো বেইতা টকাৰহে গৰাকী
চেনেওৰ গৰাকী মই ।

• • •

ঐ খাই বাকলি চালতে দলিয়াওঁ
অবুা খাই দলিয়াও জিম ;
আগাবু সিবিয়েবাক এবি দৈ আহাগৈ
আবোই খুবিয়া দিম ।

* * *

ৰূপৰে ৰৱণী — সোণৰে আকুহি
এলেঙদৈ পুখুৰীত বাওঁ ;
যেইতো গিৰিয়েৰক — মাৰিব নালাগে
তোৰেহে পৰমাণ চাওঁ ।

(৫)

এনেবোৰ কুট-কৌশলৰ মাজেদিও যেতিয়া মিলন সম্ভৱ নহয়, তেতিয়া আৰু উপায় কি ? যত্ন-চেষ্টা সকলো বিফল হ'লে হতাশাগ্ৰস্ত বুৰ যোৱা বিহুগীতৰ প্ৰেমিক-প্ৰেমিকাই তেতিয়া পৰজন্মৰ ওপৰত আস্থা ৰাখি আশ্বস্ত হয় আৰু গীত একাকি গায় —

নকৰিবি ভয়ে ঐ — নাকান্দিবি চেনেঙ ঐ
মনত শোক নলবি তোৰ ;
ইপুৰীয়ে এৰি ঐ — পামেগৈ সিপুৰী
দুখবো যে পৰিব ওৰ ।

এইদৰে দেখা যায় বিহুগীতৰ পিৰীতিৰ ঘাই সুঁতি এটিৰ উৎস হ'ল অদ্ভুত পিৰীতি । গীতৰ মাজেদি লাভ কৰা মিলনত সংসাৰ-যাত্ৰা সুগম হৈ উঠিলে, বিহুগীতৰ চোৰাং পিৰীতি হৈ স্বকীয়া পিৰীতিত পৰিণত হয় আৰু নিজৰাই নৈৰ বুকুত নিশ্চিহ্ন হৈ চিৰ-শান্তি লাভ কৰাৰ দৰে প্ৰণয়ী-প্ৰণয়িনী দুয়ো শান্তি লাভ কৰে ; তেতিয়া তেওঁলোকৰ মুখত পুনঃ মিলনৰ কামনাপূৰ্ণ গীত বাহিৰ নহয় । সমাধি লাভ কৰা ভকতই মুখৰ কীৰ্তন এৰাৰ দৰে বিহুগীতৰ প্ৰেমিক-প্ৰেমিকায়ো তেতিয়া মিলনত বিহুগীতৰ ইনাই-বিনাই এৰে ।

অন্ত-প্ৰণয়ৰ কল্প সুঁতি এটি বিহুগীতবোৰৰ ভিতৰত কেতিয়াবা স্পষ্ট আৰু কেতিয়াবা অস্পষ্টভাৱে বৈ থকা সহজতে অনুভৱ কৰা যায় । কাৰো কাণত সি আচহুৱা, কাৰো কাণত অশ্লীল, কাৰো কাণত অসহ্য যেন বাজিব পাৰে, কিন্তু বাঁকা'ৰ কৰিব নোৱাৰি যে সিও জৈৱিক মিলন কামনাৰে এটি ৰূপ মাত্ৰ প্ৰকাশ কৰিছে । পদ্মিনীয়ো সংসাৰৰ মনৰখী হৈ

পৰৰ তিৰোতাৰ লগত মদ-মাংস খাই হাতত বা কঁকালত ধৰাধৰিকৈ নাচি আত্মহাৰা হোৱাত যদি অপৰাধ নাই, আৰু ইংৰাজ সকলৰ তেনে 'বল-ডেন্স' যদি সভ্য-সমাজত সমাদৰ লাভ কৰিব পাৰে, তেনেহলে বিহু-নাচেও তেনে সমাজত অনুৰূপ স্থান অধিকাৰ কৰিবলৈ যুক্তিপূৰ্ণ দাবী আগ বঢ়াব পাৰে। দুয়োবিধ নাচতে পুৰুষ-তিৰোতাৰ যৌৱনসুলভ অবাধ আনন্দ আৰু নৃত্য-গীত সমৰ্থন কৰা হৈছে।" পাৰ্থক্য ইমানেই যে আদিম যুগৰ 'বল-ডেন্স'ক তাৰ শিক্ষিত সমাজে পৰিমাৰ্জিত কৰি তাক ললিত-কলাৰ ভঙ্গী দান কৰিছে আৰু শিক্ষিত সমাজত গ্ৰহণীয় কৰি তুলিবৰ কাৰণে গীত-বাদ্যৰ সুৰ বাজনা যুৰি দিছে। বিহুগীতত আজিও অসমীয়া শিক্ষিত সমাজে মিউজিয়ামৰ বস্তু উপভোগ কৰাৰ দৰে উপভোগ কৰিয়ে আছে, তাক নতুন ৰূপ দি সংস্কৃত কৰি লবলৈ যত্নপৰ হোৱা নাই। বস্তু কিন্তু দুয়োটা একে বিধৰে: একে পৰ্য্যায়ৰে। সহানুভূতিৰে লৈহে নিৰীক্ষণ কৰি বিহুগীতৰ পৰিমাৰ্জিত ৰূপ এটা আমাৰ জনচেৰেক ডেকা সঙ্গীতজ্ঞই বাইজৰ আগত দাঙি ধৰিবলৈ আজি বছৰচেৰেকৰ পৰা কিছু যত্নপৰ হৈছে, ই উৎসাহ আৰু আনন্দৰ কথা।

———

দেৱতাৰ জন্ম ৰহস্য

দেৱতাৰ জন্ম কথা কলে হয় ৰং,
মানুহৰ জন্ম কথা কলে উঠে খং।

ওপৰৰ কথা আষাৰ যে সঁচা তাক ন-কৈ প্ৰমাণ কৰিব নালাগে। কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাই নিজৰ জন্ম-কাহিনী ঢাকিবৰ কাৰণে কেনেকৈ বুৰঞ্জীদাহ যজ্ঞ কৰিছিল, তাক সকলোৱে জানে। কোনো লোকে নিজৰ মাক-বাপেকক উপলুঙা কৰা নতুবা নিজৰ পূৰ্ব্ব বংশ-গৌৰৱ ক্ষুণ্ণ হোৱা কথা শুনিবলৈ ভাল নাপায়। শাহুৱেক বোৱাৰীয়েকৰ ভিতৰত যি দন্দ-কাজিয়া লাগে, তাৰো গুৰিত থাকে শাহুৱেকৰ তেনে নিন্দাসূচক বচন। 'অমুকৰ জীয়েক তোৰ ইমান সাহনে' বোলাৰ লগে লগেই কুৰুক্ষেত্ৰ আৰম্ভ হয়। দেৱতাৰ ক্ষেত্ৰত কিন্তু তাৰ বিপৰীত। দেৱতাসকলে হেনো ভালে বেয়াই নিজৰ জন্ম-কথা সকলোবোৰ শুনিবলৈ বৰ ভাল পায়। দেৱতাৰ স্তুতি আৰু মন্ত্ৰবোৰ প্ৰকৃততে দেৱতাৰ জন্মকথাহে। কোনো কোনো দেৱতাৰ জন্ম এনে অখ্যাতিপূৰ্ণ যে মানুহ হোৱা হ'লে তাক তেওঁ শুনা দূৰৰ কথা, যি তেনে বৰ্ণনা দিয়ে তাৰো নিৰ্ম্মূল সাধনৰ কাৰণে লাগি গ'লহেঁতেন। দেৱতাই জন্ম-কথা শুনিবলৈ ভাল পায় কাৰণেহে সাহ কৰি সেই বিষয়ে কিঞ্চিৎ আলচ কৰিবলৈ আগ বঢ়া হ'ল। নহলে আনো কোনোবাই বাঘৰ কাছু গাত ঘঁহি লয়?

অনন্ত শক্তিৰ মূল আধাৰ পৰম কাৰুণিক ভগৱানৰ এই বিনশ্বীয়া সৃষ্টি, আৰু আমি সকলোৱে তেওঁৰ শক্তিৰ বিকাশ মাত্ৰ; এয়ে আমাৰ সহজ ধাৰণা। ভগৱানৰ অস্তিত্ব মনলৈ আহে কেতিয়া? যেতিয়া আমাৰ শৰীৰ আৰু মন কিবা কাৰণত অসুস্থ হৈ পৰে, ৰোগ-শোক-জৰা-ব্যাধিত যেতিয়া আমি জুৰুলা হৈ পৰো, আমাৰ কোনো বিপদৰ ঘোৰ অন্ধকাৰত আমাৰ মন যেতিয়া অস্থিৰ হৈ পৰে, তেতিয়া স্বাভাৱে ভগৱানৰ নাম লৈ, [illegible]

সো প্ৰকৃততে কি, তেওঁ জীৱ নে জন্তু, শৰীৰী নে নিৰাকাৰ, অনুমেয় নে কল্পনাতীত নিৰঞ্জন—এনেবোৰ কথাৰ সন্ধান তত্ত্বদৰ্শী জ্ঞানীসকলে সদায় অতীতত লৈছিল, বৰ্ত্তমানেও লৈছে আৰু ভৱিষ্যতলৈও লৈ থাকিব। ভগৱানৰ অস্তিত্ব স্বৰূপতে কোনেও পোনে পোনে ইন্দ্ৰিয়গোচৰ প্ৰমাণেৰে দৰ্শাব পৰা নাই। সেই বাবেই ভগৱান আজি সকলোৱে কাৰণে ইমান ৰহস্যৰ, ইমান আনন্দৰ, ইমান অনুসন্ধানৰ বস্তু হৈ আছে। সেই বাবেই ভগৱান আজি আমাৰ সকলোৱে কাৰণে জন্মান্ধৰ হস্তী-দৰ্শন স্বৰূপ। জন্মান্ধই হাতীটোৰ নেগুৰডাল মাত্ৰ হাতেৰে স্পৰ্শ কৰি হাতীটো যাবি এডালৰ দৰে নতুবা আকৌ ঠেং কেইখন ছুই চাই হাতী কলগছৰ দৰে ইত্যাদি ধৰণে অনুমান কৰাৰ দৰে ভগৱানকো আমি কেতিয়াবা মতা, কেতিয়াবা তিৰোতা, কেতিয়াবা যুৱ, কেতিয়াবা যুৱতী বুলি পূজা কৰিব লাগিছো।

ধানৰ গেৰ বা শীহ (থোক) ওলাবৰ সময়ত পথাৰৰ মাজৰ পাতী-পোক খেদিবলৈ কৃষকৰ কাৰণে ভগৱান হয়গৈ লাকৰা শঙ্কৰ। তেওঁ তেতিয়া খায় পিঠাগুৰিৰ লাৰু আৰু ভাং। সো দিনালৈকে তেওঁ তাতেই টিকিবা বা কানিও খাইছিল। তাৰে নাম আছিল কানীয়া-দেৱা। কানীয়া ডঙুৱা মানুহকো লোকে ভোলানাথৰে একান্ত ভক্ত বুলি লৈ ভকত দুইহে ভগৱান দুই বুলি ভাবি কানীয়া-সেৱা পাতিছিল। আকৌ সৰু লৰা-ছোৱালীৰ যেতিয়া দেখাবি-সিদিগা কাহ হয়, তেতিয়া ভগৱান হয় ভীমৰুলৰ থোক খোৱা ভঙুৱা গোঁসাই। লৰা-ছোৱালীৰ বতাহজাৰু মাত ফুটিলে বা লৰা-ছোৱালীয়ে আলকৈ কথা কব নোৱাৰিলে তেওঁ হয় [illegible] কল-খোৱা ভগৱান। কুক লৈলাজো [illegible] [illegible] [illegible]। [illegible] [illegible] [illegible] আজিও [illegible] [illegible] [illegible] [illegible]। [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible], এনে আজিও গাঁও-ভুঁইত [illegible] [illegible]। [illegible] [illegible] ভগৱান।

[illegible] বা [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] কথা কবলৈকে [illegible], তেতিয়া ভগৱান হয় [illegible] বা [illegible]। সেই [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible]। [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] তেওঁ হয় [illegible] [illegible] [illegible] [illegible] [illegible]

মনসা দেৱী। দেশত আকাল অনাবৃষ্টি হ'লে তেওঁ হয়হি পালনকৰ্তা সাক্ষাৎ বিষ্ণু দেৱতা। তেতিয়া তেওঁ সমূহীয়াভাৱে গঁয়া-গয়ৰহে দিয়া বিষ্ণুপূজা বা সবাহ গ্ৰহণ কৰেহি। জলৰ জলকুঁৱৰীকে আদি কৰি সাধাৰণ ধৰণে পূজা-সেৱা খোৱা আৰু অনেক দেৱ-দেৱীৰতো সীমা-সংখ্যাই নাই!

(২)

ভগৱানে নানান ৰূপ গ্ৰহণ কৰিছে যদিও, কিন্তু গমি চালে দেখা যায় যে তেওঁ যাইকৈ দুটা ৰূপতহে ধৰা দিছে—পুৰুষ আৰু নাৰী। পূৰ্ণব্ৰহ্ম ভগৱানে পোনতে কেনেকৈ নাৰী-ৰূপ ললে আৰু শৈশৱ শিশু, যুৱা, বৃদ্ধ, বণিতা আদি নানান অৱস্থাত বিভক্ত হ'ল—সেই বিষয়ৰ মনন বা চিন্তাক ভগৱানৰ ইহগত বা ঐহিক ৰূপ-চিন্তা বুলিব পাৰি। ভগৱানৰ ধ্যান কিন্তু কেইজনৰ কাৰণে সাধ্য? মনটোক যোগ-ধ্যান আদি প্ৰক্ৰিয়াৰ দ্বাৰা বিশিষ্ট ধৰণৰ শিক্ষা নিদিলে অৰূপ ভগৱানৰ ধাৰণা ঠিক বলিয়াৰ চিন্তাতহে পৰিণত হয়। বলিয়ায়ো কিবা কিবি ভাবি বা কৈ বা কৰি আনন্দ পায়; কিন্তু তেনে আনন্দ পৰমানন্দ মাধৱৰ চিন্তাৰপৰা ওপজা পৰমানন্দ নহয়। মনক অৱলম্বনৰ কাৰণে সদায় ৰূপ বা আকৃতিবিশিষ্ট কোনো পদাৰ্থ লাগে। সপোনতো মনে নানা প্ৰকাৰৰ বস্তু বা জীৱ-জন্তু সৃষ্টি কৰে। এনেস্থলত অৰূপ ভগৱানকো মানৱ-মনে ৰূপ বা আকৃতি দি ইন্দ্ৰিয়গ্ৰাহ্য কৰিবলৈ প্ৰয়াস কৰা অতি স্বাভাৱিক। গতিকে জপ বা ধ্যানত আকৃতিবিশিষ্ট হৈ তেওঁ ভক্তৰ অন্তৰত ধৰা দিছে বুলিলেও ভুল নহব।

মানুহৰ সকলো চিন্তাই ক্ৰমে গৈ একোটা বিশিষ্ট ৰূপ গ্ৰহণ কৰে। কবিৰ কল্পনাও ৰূপক-উপমাৰে সাজি-কাচি মনোহাৰী হৈ উঠে; তেনেকৈয়ে ধৰ্ম আৰু ধৰ্মৰ মাজেদি ভগৱান ভক্তৰ অন্তৰত ব্যক্ত হয়। ব্যৱহাৰিক জীৱনৰ কাৰ্য্যাৱলীতো সেইবাবেই অতীত অভিজ্ঞতা, অনুভূতি আৰু কল্পিত ধাৰণাবোৰক বিভিন্নকৈ ভগাই লৈহে আকাৰত উপস্থাপিত কৰিবলৈ লোৱা হয়। জাতীয় জীৱন পাচ বছৰীয়া পৰিকল্পনাও তেনে ধাৰণাৰেই একোটা আকৃতি ৰূপ।

মানুহে সৃষ্টিৰ বিশেষ, দিব্য শক্তি আৰু [illegible] [illegible] প্ৰকাশ কৰিবলৈ যত্ন কৰে। [illegible] [illegible] [illegible] [illegible] [illegible]

মানুহৰ মানৱীয় ৰূপ-ৰসে হৈ তেওঁৰ অৰূপ সত্তাক বোল বা ৰূপ দিবলৈ বিচৰাটো স্বাভাৱিক। কাৰণ, ভগৱানৰ যেতিয়া নিজৰ কোনো বিশিষ্ট ৰূপ নতুবা অবয়ব বা আকাৰ নাই, তেতিয়া তেওঁ—যিয়ে যি ৰূপ দিয়ে—তাতে প্ৰতিফলিত হোৱাটো স্বতঃসিদ্ধ হবে। পানীৰ নিজৰ কোনো ৰূপ নোহোৱা বাবে যি পাত্ৰতে থোৱা যায়, সি তাৰ ৰূপ গ্ৰহণ কৰে। ভগৱানো এই ক্ষেত্ৰত তদনুৰূপ। যথাৰ্থতে জলশায়ী নাৰায়ণ বুলি কথা এটিও আছে।

ভগৱান আশুতোষ; যিয়ে যি দিয়ে বা যিৰূপে দিয়ে তাতেই তেওঁ তুষ্ট। মানুহে সেইবাবেই ভগৱানক নিজৰ ৰূপত কল্পনা কৰে। কোনেও নিজতকৈ অন্যক বেছি ওখত সহজতে স্থান দিব নোখোজে; অন্ততঃ নিজতকৈ আনক বেছি ভাল পাব নোৱাৰে। গতিকে মানুহে নিজৰ ৰূপতে ভগৱানকো ৰূপ দিবলৈ বিচাৰি ভাল পাবলৈ চায়। এইদৰেই নিৰাকাৰ, নিৰঞ্জন ভগৱানেও পৃথিৱীত ৰূপ পৰিগ্ৰহ কৰিলেহি।

মানুহৰ সৃষ্টি বৃদ্ধিৰ কাৰণে নাৰী হ'ল আদি আহিলা। নাৰী অবিহনে সংসাৰ নচলে। গতিকে ভগৱানো অকল পুৰুষ হৈ থাকিলে নচলিব, তেওঁ নাৰী-ৰূপো ধাৰণ কৰিব লাগিব। সেই বাবেই আদ্যাশক্তি নাৰীৰূপেও তেওঁ ধৰাত অৱতীৰ্ণ হ'লহি। কাৰো কাৰো মতে ভগৱানৰ নাৰী মূৰ্তিয়ে অৰ্থাৎ আদ্যা শক্তিৰ ৰূপটোহে প্ৰথমে কল্পিত হৈছিল।

পিছে নাৰীক আদ্যাশক্তি বুলি দেৱৰ স্থান কৰা নাইবা ভগৱানকে মনোহাৰী নাৰীৰ ৰূপত নমাই অনা একে কথা। নাৰীক শক্তি বা আদ্যাশক্তিৰূপে বৈদিক ব্ৰাহ্মণ্য ধৰ্মতো কল্পনা কৰা হৈছিল। তান্ত্ৰিক আৰু বৌদ্ধ ধৰ্মৰ শাখা-প্ৰশাখাবোৰতো নাৰীৰ মহীয়সী শক্তিৰ প্ৰভাৱ যথেষ্টৈয়ে স্বীকৃত হৈছিল। বৌদ্ধ আৰু তান্ত্ৰিকতাৰ প্ৰভাৱে হয়তো ক্ৰমে ক্ৰমে বৈদিক ব্ৰাহ্মণ্য-ধৰ্মকো পৰোক্ষভাৱে স্পৰ্শ কৰিছিল। বৌদ্ধ বজ্ৰযান, সহজযান আদি সম্প্ৰদায়ৰ সাধ্য সাধনাৰ মূলতে আছে নাৰী। এই নাৰীৰ সহায়ত বৌদ্ধ বজ্ৰযানী, মন্ত্ৰযানী, কালচক্ৰযানী আৰু সহজযানীসকলে দেহযোগ বা কায়াসাধনা কৰে। কায়াসাধনাৰ সহায়তহে তেওঁলোকে উপযুক্ত চিত্তৰ স্ফূৰ্তি আনিবলৈ সমৰ্থ হোৱা [illegible] বুলি কয়। বজ্ৰযানীয়া মতত বা বজ্ৰযানৰ [illegible] [illegible] [illegible]—[illegible] [illegible] এটা এক শক্তি, যেতিয়া [illegible] [illegible]

প্ৰাপ্তি।' তেওঁলোকেও নাৰী-সাধনাক ভক্তিৰ এটি আহিলা বুলি লয়। সাধনাৰ এই পদ্ধতিবোৰ বাহ্যিক দৃষ্টিত দোষণীয় যেন লাগিলেও এইবোৰ সেই সেই পন্থী লোকসকলৰ চিৰাচৰিত প্ৰক্ৰিয়া। ভক্তি-সাধনাৰ এটা স্তৰত গুপ্ত মন্ত্ৰ কৰিবৰ কাৰণে নাৰী-পুৰুষৰ গোপনে উলঙ্গ অৱস্থাত কৰা কথোপকথনবো ব্যৱস্থা আছে। ইন্দ্ৰিয়ৰ আশ্ৰয়ত কৰা নতুবা কোনো বিশিষ্ট পদ্ধতিত ইন্দ্ৰিয় সংযমৰ দ্বাৰা কৰা এইবোৰো একো একো প্ৰকাৰ ভগৱৎ সাধনায়ে। তাৰ দ্বাৰা সেই সেই পন্থৰ ভক্তসকলে নাৰীক প্ৰেমময়ী, শক্তিময়ী দেৱীৰ আসনত অধিষ্ঠিত কৰে।

বৈষ্ণৱ সাধনাৰ সহজিয়া পন্থীসকলেও নাৰীক অৱজ্ঞা নকৰে। বৰং নাৰীক দেৱীৰূপে বা ভগৱানৰ শুদ্ধ-বুদ্ধ স্বৰূপৰ বিকাশৰূপে লৈ সাধনা আৰম্ভ কৰে। এই বিষয়ত তান্ত্ৰিক আৰু বৌদ্ধ পন্থীসকলৰ মাজত বহুখিনি সাদৃশ্য দেখা যায়। মধ্য যুগত এই সহজিয়া ভক্তি পন্থই চৰম উৎকৰ্ষ লাভ কৰিছিল। বৈষ্ণৱ কবি চণ্ডীদাসে ৰজকিনী এগৰাকীৰ মাজেদিয়ে ভগৱৎ দৰ্শন পাবলৈ বিচাৰি ৰজকিনীকেই তন্ত্ৰ-মন্ত্ৰ সাধনা-উপাসনা-বেদমাতা-গায়ত্ৰীৰ উৎস বুলি তেওঁতে আত্মনিবেদন কৰিছিল—

'ও ৰূপ মাধুৰী পাসৰিতে নাৰি, কিদিয়ে কৰিব বশ।
তুমি সে তন্ত্ৰ তুমি সে মন্ত্ৰ, তুমি উপাসনা ৰস ॥

মুঠতে আদিম যুগত যি অৰূপ ভগৱানে দূৰত থাকি প্ৰকৃতিৰ নানা ক্ৰিয়া-প্ৰক্ৰিয়াৰ মাজেদি মানুহৰ মনত ভীতি আৰু ৰহস্যৰ সঞ্চাৰ কৰি পূজাভাগ গ্ৰহণ কৰিছিল, তেৱেঁই ক্ৰমে ক্ৰমে সেই স্থান এৰি আহি মানুহক প্ৰেম আৰু সান্নিধ্য দান কৰিবলৈ ধৰিলে। দূৰৰ ভগৱান কালক্ৰমত ওচৰলৈ আহিল। তেতিয়া যোজোনাত কোৱাৰ দৰে 'হাতত পাৰো নাৱৰ পানী, সখালি নলৌ চিকাৰ কানিশ দৰে হুল। ভক্তসকলে তেতিয়া তাহানি গোপীসকলে কৃষ্ণক লৈ নানাভাৱে খেলা কৰাৰ দৰে ভগৱানৰ লগতো খেলা খেলিবলৈ সাহস পালে। তেতিয়া ভক্তৰ স্থান প্ৰেম-প্ৰীতিয়ে গ্ৰহণ কৰিলে। ভগৱানেও ৰূপবিশিষ্ট হৈ নৰ-নাৰীৰ বেশত ভক্তৰ ওচৰত ধৰা দিলেহি—

'ধীৰ সমীৰে যমুনা তীৰে বসতি বনে বনমালী।
পীন পয়োধৰ পৰিসৰ মৰ্দ্দন চঞ্চল কৰযুগ-শালী।' (জয়দেৱ)

তেতিয়া আৰাধ্য আৰু আৰাধকৰ মাজৰ ৰহস্যৰ ব্যৱধান ক্ৰমে উঠি

ধাবলৈ ধৰিলে। ভগৱানৰ লগতে অন্যান্য কল্পিত দেৱতাসকলেও মানৱীয় আৱেগ-অনুভূতি বিশিষ্ট হৈ মৰতৰ লোকৰ আগত তাওঁৰা দেখুৱাবলৈ ধৰিলে। তেতিয়া উমা-মহাদেৱৰো বিয়া আৰু সংসাৰ হ'ল; গোলোকেৰ বিষ্ণু দেৱতাও 'কৃষ্ণৰূপে দৈৱকীত ভৈলা অৱতাৰ'। তেওঁ সেয়ে বহুয়, সন্ন্যাসী, গৃহী, প্ৰেমিক, যোদ্ধা, ৰাজনীতিজ্ঞ আদি নানা বেশত তেওঁ ভাও লৈছেহি। আদ্যাশক্তি মহামায়া-দুৰ্গা-কালী আদিৰ আৱিৰ্ভাৱ আৰু নিজৰো নৰৰূপ সম্বন্ধে ভাগৱতত ভগৱান বিষ্ণুই নিজে কৈছে—

যেন দেখি নাৰায়ণে আদেশ কৰিলা পাছে
মহামায়া গোকুলক যাহা।
দৈৱকীৰ গৰ্ভ হৰি ৰোহিণীত দিয়া
যশোদাত তুমি উপজাহা॥
আমিও সাক্ষাতে সেয়া দৈৱকীত উপজিবো
বসুদেৱে আনিবে সলাই।
দুৰ্গা, ভদ্ৰা, কালী আদি হইবেক তোমাৰ নাম
থাকিবা লোকৰ পূজা খাই॥—দশম।

(৩)

এনেবোৰ ধ্যান-ধাৰণাৰ গুৰিত আৰ্য্য অনাৰ্য্য দুয়োৰে ভাব আৰু কাৰ্য্যৰ সংমিশ্ৰণ ঘটিছে। মন কৰিবলগীয়া কথা এই যে অন্যান্য সভ্য দেশৰ দৰে ভাৰতত আৰ্য্যসকলে অনাৰ্য্যসকলক খেদি দূৰলৈ পঠোৱা নাছিল; নতুবা তেওঁলোকক নিষ্পেষিত অৱস্থাত ৰাখিবলৈও যত্নপৰ হোৱা নাছিল। বৰঞ্চ অনেক ক্ষেত্ৰত অনাৰ্য্যসকলৰ শক্তি, সামৰ্থ্য আৰু কাৰ্য্যকুশলতাৰ দ্বাৰা আৰ্য্য-সকলো প্ৰভাৱান্বিত হৈছিল। আৰ্য্য-অনাৰ্য্যৰ অবাধ মিলনৰ অনেক প্ৰমাণ আছে। অৰ্জুনে নাগ-কন্যা উলুপী, মণিপুৰৰ নৃত্যবিদ্যা-বিশাৰদা ৰমণী চিত্ৰাং-গদা আদিক বিয়া কৰোৱা, শ্ৰীকৃষ্ণই ভল্লুককন্যা জাম্বৱতীক পত্নীৰূপে লোৱা, ভীমে হিড়িম্বাৰ পাণি-গ্ৰহণ কৰা আদি ঘটনাবোৰ সৰু শিশুসকলেও জানে। এনেবোৰ কাৰ্য্যই ইয়াকে প্ৰমাণ কৰে যে ভাৰতীয় লোকসকলৰ বিভিন্ন জাতি-বৰ্ণৰ মাজত বিয়া-বাৰুৰ যোগেদি সংমিশ্ৰণ আৰু সংকৰণ ঘটিছিল। কাজে কাজেই ভাবৰো অবাধ আদান-প্ৰদান চলিছিল। ভাবেই কলত কৰ্মতো

নানান্ ধৰণৰ গ্ৰন্থ আৰু বৈষ্ণৱ সৃষ্টি হৈ মানুহৰ স্বাধীন চিন্তাৰ প্ৰবাহ অব্যাহত ৰাখিছিল। তেনেকৈ নানান্ দেৱ দেৱীয়েও মানুহৰ নানান্ ৰূপগুণ ধৰি লৈ লোকসমাজত পূজা-সেৱা গ্ৰহণ কৰি আহিছিল। আদি যুগৰ আদ্য-শক্তি দুৰ্গাৰে ক্ৰমে কালী, শীতলা, মনসা, লক্ষ্মী, সৰস্বতী আদি নানা ৰূপত বিভক্ত হৈ পৰে। কালী স্তুতিত মহামায়া, কালিকা দেৱীক বেদমাতা, সৰস্বতী, গিৰিজা অৰ্থাৎ উমা বা দুৰ্গা আৰু বিশ্বমাতা বোলা হৈছে। জগদ্ধাত্ৰী তোমাতো তেওঁ শিৱ, তেওঁই সমস্ত শক্তিত অৱস্থিত আৰু শক্তিৰূপিণী॥

'শবাকাৰে শক্তিৰূপে শক্তিস্থে শক্তিৰূপিণী।
শক্তাচাৰপ্ৰিয়ে দেৱী জগদ্ধাত্ৰি নমস্তুতে॥

আকৌ শ্বেতাশ্বতৰোপনিষদৰ মহেশ্বৰ-স্তুতিত মহেশ্বৰক নৰ-নাৰী, কুমাৰ কুমাৰী সকলো বোলা হৈছে। অকল সেয়ে নহয়, কোৱা হৈছে যে তেওঁৱেই জৰাগ্ৰস্ত হৈ হাতত লাঠি লৈ লৰক-ফৰকৈ ফুৰে আৰু তেওঁৱেই কাৰ্য্যবশতঃ নানা অৱস্থা প্ৰাপ্ত হয়—

ত্বং স্ত্ৰী ত্বং পুমানসি ত্বং কুমাৰ উত কুমাৰী;
ত্বং জীৰ্ণো দণ্ডেন বঞ্চসি ত্বং জাতো ভৱসি বিশ্বতোমুখঃ।'

এয়ে হিন্দুৰ ক্ৰমবৰ্দ্ধমান আৰু পৰিবৰ্ত্তনশীল ক্ৰমবিকশিত মনৰ পৰিচয় দাঙি ধৰে।

প্ৰাকৃতিক বৈচিত্ৰ্যত ভাৰত অতুলনীয়। গিৰি-গহ্বৰ, নদ-সৰোবৰ, মৰু-ভূমি-তৃণভূমি আদিৰে ভৰপূৰ ভাৰতৰ দুখুই যুগে যুগে তাৰ অধিবাসীসকলৰ মনৰ ওপৰত প্ৰভুত্ব চলাই আহিছে। এনে পৰিবেষ্টনসমূহে মনক সদায় বৰ্দ্ধনশীলতাৰ ঢিমাকি দি আহিছে। আকৌ গতিশীল স্ৰোতস্বিনীসমূহৰ ... গতিশীলতাই ভাৰতীয় লোকৰ মনলৈ নমাই আনিছিল পৰিবৰ্ত্তনৰ আবেগময় ... । হিমালয়ৰ চিৰ-তুষাৰবৃত ... [illegible]

নিৰত থাকি কাল কটাইছিল, কেতিয়াবা আকৌ জ্যোতিষ শাস্ত্ৰৰ বাবে অংকত গণনা চৰ্চ্চাৰ উৎস উদঘাটন কৰিছিল।

কৃষিপ্ৰধান ভাৰতীয় মনলৈ প্ৰকৃতিৰ বহুতো দুৰ্যোগবোৰে আনিছিল ভাগ্য আৰু অদৃষ্টৰ নিৰ্মম বিধানবোৰ। ধুমুহা, শিলাবৃষ্টি, অনাবৃষ্টি, জলপ্লাৱন, মহামাৰী আদিৰ আকস্মিক আবিৰ্ভাৱৰ [illegible] লাগি ভাৰতীয় লোকৰ মনে নানান দেৱ-দেৱী আৰু নানান প্ৰকাৰ তাবিজ-কবচ আদিৰ সৃষ্টি কৰিছিল। সংঘাতৰ এনে দুৰ্ব্বল মুহূৰ্তবোৰত কল্পিত হৈ আবিৰ্ভূত হোৱা অনেক দেৱতাই দেওভূত নাম লৈ আজিও গাঁও-ভুঁইৰ চুকে-কোণে থাকি পূজা-পাতল খাই আছে।

(৪)

মানুহৰ মন সদায় চঞ্চল। অৰূপক ৰূপ দি নতুন সামগ্ৰী সৃষ্টি কৰাত ই যেন অৰূপ ভগৱানৰেই স্বৰূপ নিৰ্দ্দেশক হৈ পৰে। সৃষ্টিত মানুহে যি যি কাম কৰি আছে, সেই সকলোবোৰ মানুহৰ মনৰ একো একোটি বিশিষ্ট ৰূপ। মানুহক আৰু মানুহৰ ভিতৰত থকা মনটো যি ভগৱানে সৃষ্টি কৰিছে, সেই ভগৱানৰ বিষয়ে জানিবলৈও মানুহৰ মন কেতিয়াবা ব্যগ্ৰ আৰু চঞ্চল হৈ উঠে। সেই ব্যগ্ৰতা, সেই চঞ্চলতাৰ হেতুকেই ভগৱানে নানা ৰূপত, নানা আকৃতিত ৰূপবিশিষ্ট হৈ কেতিয়াবা দ্বিভুজ, চতুৰ্ভুজ বহুভুজ অথবা অনন্তবাহু, আকৌ কেতিয়াবা একানন, চতুৰানন, পঞ্চানন আদি আৰু কেতিয়াবা দ্বিনয়ন, ত্ৰিনয়ন, চতুৰ্নয়ন, সহস্ৰলোচন আদি বেলেগ ৰূপ ধাৰণ কৰে।

সেই সকলোবোৰতে কিন্তু মানুহে সদায় ভগৱানক পোনতে নিজৰ আকৃতিতে ৰূপ দি ক্ৰমে নিজতকৈ শক্তিমন্ত কৰি তুলিবলৈ প্ৰয়োজনমতে তাত যোগ-বিয়োগ কৰে। তাকে কৰি তেওঁ নিজৰ অন্তৰৰ পূজা সেই দেৱতাৰ ওচৰত অৰ্পণ কৰি শান্তি লভে।

মানুহৰ ৰূপ আৰু শক্তি বিকাশ আৰু বিকশিত হৈছে পুৰুষ আৰু নাৰী দুয়োটাৰ যোগেদি। আকৌ বাদ দি কোনো সৃষ্টি সম্ভৱ নহয়। গতিকে ভগৱানেও নৰ আৰু নাৰীৰূপেই বিভুজ শক্তিৰূপ অথবা একেটা ৰূপ [illegible] মানুহৰ মন বা কল্পনাই দিয়া ৰূপ এটাত [illegible] [illegible]

কৌতূহল চৰিতাৰ্থ কৰিবৰ কাৰণে। নৱ-সৃষ্টিৰ আদিতে হয়তো ভগৱানৰ মনত মানুহৰ এই গুপ্ত বাসনাও আছিল যে মানুহে জন্ম লাভ কৰাৰ পিছত তেওঁ ভগৱানকো ৰূপ দিব আৰু তেওঁকো পূজা খাব পৰাকৈ সৃজন কৰিব কাৰ্য্যতো সেয়ে হ'ল। ভগৱানে ভক্তক সৃজিলে আৰু ভক্তয়ো অৰূপ ভগৱানক ৰূপ-দান দিলে। মানুহৰ মাজেদিয়ে ভগৱান ব্যক্ত হ'লহি মহাত্মা বা অৱতাৰৰূপে। সেয়ে গীতাত ভগৱান ব্যক্ত হ'লহি মহাত্মা বা অৱতাৰৰূপে। সেয়েহে গীতাত ভগৱানে কৈ থলে যে আৱশ্যক হ'লেই তেওঁ ধৰাত ৰূপ বা আকৃতি-বিশিষ্ট হৈ জন্ম গ্ৰহণ কৰে—'তদাত্মানং সৃজাম্যহং'।

ঈশ্বৰৰ অস্তিত্বত সন্দেহ আৰোপ কৰা অনেক চিন্তাশীল ব্যক্তি পৃথিৱীত আছিল আৰু অদ্যাপিও আছে। তেওঁলোকে যিহেতু ঈশ্বৰৰ অস্তিত্বকে নামানে, গতিকে বিশ্ব-ব্ৰহ্মাণ্ডৰ স্ৰষ্টাৰ অস্তিত্বও নামানে। ঈশ্বৰ বা সৃষ্টিকৰ্ত্তাৰ অস্তিত্ব নামানিলেও কিন্তু পৃথিৱীত ঈশ্বৰ-বিশ্বাসীৰ ঈশ্বৰজনাক যে কোনোবা সময়ত মানুহেই সৃষ্টি কৰিছিল, সেইটোত তেওঁলোকৰ সন্দেহ নাই! অৰ্থাৎ ঈশ্বৰেই চৰাচৰ ব্ৰহ্মাণ্ড সৃষ্টি কৰিছে বোলাত অনেকে আপত্তি কৰিব পাৰে; কিন্তু ঈশ্বৰক মানুহে সৃষ্টি কৰিছে বোলাত হলে কাৰো আপত্তিৰ স্থল নাই। এনেকৈয়ে বিবৰ্ত্তনকামী মানুহৰ মনে বুদ্ধ-তৈৰৱ, হৰি হৰ আদিৰ মূৰ্ত্তিও আৱিষ্কাৰ কৰি আহিছে। সভ্যতা আৰু সংস্কৃতিৰ অৱশ্যম্ভাৱী পৰিবৰ্ত্তনৰ লগে লগে ভগৱানেও নৱ নৱ ৰূপ পৰিগ্ৰহ কৰিব, তাত সন্দেহ নাই।

নাৰী সম্পৰ্কেও মানৱ-সমাজে নানা সময়ত নানা প্ৰকাৰ ধাৰণা পোষণ কৰি আহিছে। এনে এক সময়ো আছিল যেতিয়া নাৰীৰ অন্তঃকৰণ বোলা বস্তু সমূলি নাই বুলিয়ে ধৰি লোৱা হৈছিল। অন্য এক সময়ত আকৌ নাৰী পুৰুষৰ একপ্ৰকাৰ সম্পত্তি মাথোন বুলি গণ্য কৰা হৈছিল। যেতিয়া [illegible] আছিল নাৰীৰত। [illegible] থাকিলেও তাৰ [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] আছিল—'[illegible]'। সেই [illegible]।

নবী-কথা

(মৌলানা আতাউর রহমান এম-এ চাহেবের 'আমরা শক')

[illegible]

'Nabi-Katha' is a cluster of stories and anecdotes of Prophets and Rasuls written dy Shri Atul Chandra Barua M. A. In it 'he has used his talents in a new field and with characteristic vigour and skill'. The writer 'has taken great pains to keep himself loyally to thc Holy Quran and authentic traditions in writing the stories & anecdotes and the book is the first of its kind in Assamese Literature. Published by Shrimati Hiran Prabha Barua, Navagiri, Chandmari, Guwahati-3 Price Rs 4/- 1963.

প্ৰকাশিকা :
শ্ৰীমতী হিৰণপ্ৰভা বৰুৱা
নৱগিৰি, গুৱাহাটী

প্ৰথম প্ৰকাশ :
পোন্ধৰ আগষ্ট, ১৯৬৩ ইং

মূল্য : চাৰি টকা

মুদ্ৰক :
শ্ৰীকালীচৰণ পাল
নৱজীৱন প্ৰেছ
৬৬ গ্ৰে ষ্ট্ৰীট, কলিকতা-৬

FOREWORD

Shri Atul Chandra Barua has already established his reputation as a popular writer of stories and literary criticism in Assamese. In the present work—Nabi Katha—he has used his talents in a new field, and with characteristic vigour and skill.

Stories of Prophets and Rasuls exist in Urdu and Bengali ; to my knowledge there is no book of this kind of real value in our own language. Shri Atul Chandra Barua is to be congratulated on the manner in which has fulfilled this keenly felt need by the publication of Nabi Katha.

It may not be known to many that although Hazrat Mohammed, may peace and blessings of Allah be on him, brought Islam into the world he has taught his followers to believe in all divinely commissioned Prophets from Adam downwards. As Abraham, may peace of Allah be on him, was the first to preach unalloyed monotheism, Hazrat has been commanded in the Holy Quran to follow his faith. (the Holy Quran III : 96). This monotheism reached its highest development in the teachings of Hazrat Mohammed. I am glad to be able to say that the Chapters on these two Rasuls have been very well written within the limits permissible in a book of this size. That Shri Barua has taken great pains to keep himself loyally to the Holy Quran and authentic traditions is manifest in each and all of the Chapters that go to

make up this beautiful book. He has picked up the grains of gold, without falling into the temptation of hammering them out into thin plates.

In these days when all right-thinking men are concentrating on whatever brings about harmony and goodwill in the world, this literary effort of Shri Atul Chandra Barua is really commendable. I would welcome a similar effort from a talented Muslim young man to bring out a book giving the stories of Mahapurushas like Buddha, Shrikrishna, Guru Nanak, Ramkrishna Paramhansa, Sankardeva, Ramanuja, Sankaracharyya and Chaitanya. After all it is true knowledge that brings men and groups of men closer

'Ashiyana'
Laban, Shillong.
16 7. 1952

Ataur Rahman

উচর্গা

ধৰ্মালোচনাৰ উদাৰতাত হিন্দু-মুছলমান উভয়ৰে
সৰবৰহী, ছিপাঝাৰ হাইস্কুলৰ অন্যতম
প্ৰতিষ্ঠাতা, জনপ্ৰিয় সমাজ-সেৱী আৰু
নেতা, মোৰ পৰম আৰাধ্য খুৰা-
দেউ শ্ৰীযুত অমূল্যচৰণ বৰুৱা
দেৱৰ কৰ-কমলত

নিবেদন

ষোল বছৰ আগৰ কথা। কলেজত অধ্যাপনা কৰি থাকোঁতে তেতিয়া এবাৰ নিজৰ জ্ঞানৰ দৈন্য উপলব্ধি কৰিব পাৰি উপনিষদ, ভাগৱত, পুৰাণ, হৰিবংশ, জাতক, ৰামায়ণ, মহাভাৰত আদি গ্ৰন্থবোৰ শৃঙ্খলাবদ্ধভাৱে অধ্যয়ণ কৰিবলৈ লোৱা হৈছিল। তেতিয়া এই গ্ৰন্থবোৰত থকা আখ্যানবোৰে মন এনেকৈ মুহি পেলাইছিল যে সেইবোৰৰ কিছুমান তেতিয়াই গল্পাকাৰত লিখি উলিওৱা হৈছিল। লিখকৰ 'পুৰণি পুথিৰ সাধু' আৰু পিছত 'গল্প-ভাৰতী' তাৰেই একোটি ৰূপ।

সেই একে সময়তে ইচলামৰ পবিত্ৰ গ্ৰন্থ 'কোৰাণ' আৰু খৃষ্টানসকলৰ পবিত্ৰ গ্ৰন্থ 'বাইবেল'— এই দুয়োখন গ্ৰন্থও পঢ়িবলৈ প্ৰবল আগ্ৰহ হৈছিল। দ্বিতীয়খন গ্ৰন্থ যেনিয়া কলেজৰ ছাত্ৰ জীৱনৰ ক্ষুদ্ৰ অধ্যয়নৰে পৰা যেখি আকৌ কিছু পঢ়া হ'ল; কিন্তু প্ৰথম খনৰ হলে (কোৰাণৰ) প্ৰকৃত ৰূপ-টোও ভালকৈ দেখিবলৈ সমৰ্থ নহলোঁ। পুথি-ভঁৰালৰপৰা ধাৰ কৰি আনি দুখনো তাৰ বঙলা গল্প-পুথি পঢ়িলোঁ। তাত কিন্তু ইমান বেছি ৰহণ

সনা আছিল যে তাতে মুগ্ধ হৈ তাৰে গোটাচেৰেক গল্প চুটিকৈ অসমীয়াত লিখি থৈছিলোঁ। মোৰ তাহানিৰ পঢ়া'শীয়া বন্ধু সুকবি ইব্ৰাহীম আলিৰ অনুগ্ৰহত তাৰে তিনি-চাৰিটামান আখ্যান 'কঁাচিজোন' কাকতত প্ৰকাশ হৈছিল। বন্ধুৱে কিতাপ আকাৰত উলিয়াবলৈ ইচ্ছা কৰা সত্বেও উপযুক্ত লোকৰ দ্বাৰা সেইবোৰ পুনঃ এবাৰ পৰীক্ষা কৰাব নোৱাৰি পেলাই থোৱা হৈছিল।

ইতিমধ্যে মৌলানা আতাউৰ ৰহমান চাহাবৰ লগত শিলঙত আমাৰ সাক্ষাৎ হয়। তেখেতক হাতেলিখা গল্পকেইটা এবাৰ চকু ফুৰাই দিবলৈ অনুৰোধ কৰাত তেখেতে মৰম কৰি চকু ফুৰায়েই নেৰিলে, পঢ়ি চাই প্ৰত্যেক অধ্যায়তে য'ত যি পৰিবৰ্তন কৰিব লাগে তাৰো পৰামৰ্শ দিলে। তেখেতৰ উপদেশমতে আখ্যানবোৰত যোগ-বিয়োগ কৰি এইবাৰ একেবাৰে নতুনকৈ সজোৱা হ'ল। গতি'কে এক কথাত ক'বলৈ গ'লে এই বিষয়ত তেখেতেই মোৰ একমাত্ৰ বন্ধু, উপদেষ্টা আৰু পথ প্ৰদৰ্শক। এইবোৰত যি দোষ-ক্ৰটী ৰৈ গৈছে সেইবোৰ মোৰ অজ্ঞতাৰ দোষ; গুণ কিবা থাকিলে সি তেখেতৰহে দান।

আমাৰ ঘৰে মূল 'কোৰাণ' শাস্ত্ৰৰ কথাটোও নজনা অলেখ লোক অসমীয়া সমাজত, বিশেষকৈ অমুছলমান সমাজত আছে। তেওঁলোকে এই পুস্তকৰ পৰা মূলগ্ৰন্থ পবিত্ৰ 'কোৰাণ'ৰ জ্ঞান লভিবলৈ কিঞ্চিৎ আকৃষ্ট হলেও আমাৰ পৰিশ্ৰম সাৰ্থক হোৱা বুলি বিবেচনা কৰিম। শিক্ষা-বিভাগৰ পৰা আৰ্থিক পৃষ্ঠপোষকতা নোপোৱা হলে নবী-কথা ইমান সোনকালে প্ৰকাশ নহ'লহেঁতেন। সেইবাবে বিভাগীয় গুৰিয়ালসকলৰ ওচৰত লিখক কৃতজ্ঞতা পাশত আবদ্ধ থাকিল। বেটুপাতত দিয়া ছবিটিৰ পৰিকল্পনাত মোহাম্মদ আকৰম চাহাবৰ আৰু কেঁচা ছপা শুধৰোৱাত সুহৃদ প্ৰেমনাৰায়ণ দত্তৰ সাহায্যও সলাগ সহকাৰে স্বীকাৰ কৰা হ'ল।

ছিপাঝাৰ, মঙ্গলদৈ
১২ মে, ১৯৬৩

শ্ৰীঅতুলচন্দ্ৰ বৰুৱা

প্ৰস্তাৱনা

সকলো ধৰ্ম্মৰে মূল ভেটি ঈশ্বৰ অথবা নৈতিকতা। বৌদ্ধ ধৰ্ম্ম নৈতিকতাৰ ওপৰতে প্ৰতিষ্ঠিত। ঈশ্বৰ সম্বন্ধীয় বিচাৰ আৰু তৰ্ক চলাওঁতে কোনোৱে তেওঁক সাকাৰ, কোনোৱে নিৰাকাৰ, কোনোৱে এক, কোনোৱে বহুত, কোনোৱে সূক্ষ্ম, কোনোৱে স্থূল আদি নানা ভাৱত ভাবে আৰু নানা নামত নাম-কৰণ কৰে। আল্লা, ঈশ্বৰ, গড, জিহোবা আদি তেওঁৰেই নাম। ভক্তই যিদৰেই ভাবে সেই দৰেই তেওঁ প্ৰতিভাত হয়। কোনো কোনো ধৰ্ম্মৰ লোকে আকৌ তেওঁৰ অস্তিত্বকে নামানে নাইবা নামানিবলৈ তৰ্ক-বাদ আৰম্ভ কৰে। সিও কিন্তু ঈশ্বৰবাদৰে নামান্তৰ।

ইছলাম ধৰ্ম্মৰো মূলত ঈশ্বৰৰ একত্ব আৰু হজৰত মহম্মদৰ ৰছুলত্বত বিশ্বাস স্থাপন। আল্লা এক আৰু অদ্বিতীয় আৰু সকলো মানুহ পৰস্পৰ ভ্ৰাতৃ-স্বৰূপ। যিসকলে এই বিশ্ব-ভ্ৰাতৃত্বত বিশ্বাস কৰি, হজৰত মহম্মদৰ ৰছুলত্ব মানি, এক আল্লাত আশ্ৰয় বা শৰণ লয় তেঁৱেই মুছলিম বা মুছলমান। মুঠতে আল্লাত আৰু ৰছুলত বিশ্বাস ইছলামৰ মূল কথা।

বহুত অজ্ঞ লোকৰ সাধাৰণ ধাৰণা এটা আছে যে ইছলামৰ পবিত্ৰ গ্ৰন্থ 'কোৰাণ শৰিফে' ধৰ্ম্ম-প্ৰচাৰৰ কামত বল প্ৰয়োগ কৰিবলৈ শিকায় আৰু হজৰত মহম্মদে তৰোৱালৰ সহায়তহে ইছলাম প্ৰচাৰ কৰিছিল। এই ধাৰণাটো যে সম্পূৰ্ণৰূপে ভ্ৰান্তিমূলক আৰু অজ্ঞতাসম্ভূত তাক নানা কথাই প্ৰমাণ কৰে। ইছলাম ধৰ্ম্মৰ এটা মূল শিক্ষা এই যে জগতত হজৰত মহম্মদৰ পূৰ্ব্বে যিসকল পয়গম্বৰৰ আবিৰ্ভাৱ হৈছিল তেওঁলোকতো বিশ্বাস কৰা প্ৰত্যেক মুছলমানৰে কৰ্ত্তব্য। কোৰাণৰ মতে 'এনে এটা জাতি অদ্ভুত নাই যি জাতিৰ লোকসকলৰ মাজত এজন ভৱিষ্যদ্বক্তা বা পয়গম্বৰ জন্মা নাছিল।' (কোৰাণ—৩৫।২৪)। 'হজৰত মহম্মদৰ পূৰ্ব্বেও নিশ্চয় অনেক পয়গম্বৰৰ আবিৰ্ভাৱ হৈছিল; সেইসকলৰ নাম কোৰাণত উল্লিখিত হবও পাৰে, নহবও পাৰে। (কোৰাণ ৪০।৭৮; ৪।১৬৪)। গীতাতো ভগৱানে

শ্ৰীকৃষ্ণই সখা অৰ্জ্জুনক সেই একে ভাবতেই কৈছিল—'হে ভাৰত! ধৰাত যেতিয়াই ধৰ্ম্মৰ গ্লানি আৰু অধৰ্ম্মৰ প্ৰাবল্য হয় তেতিয়াই মই নিজক ব্যক্ত কৰোঁ। এইদৰেই সন্তক পালন আৰু দুষ্টক দমন কৰি ধৰ্ম্ম প্ৰতিষ্ঠা কৰিবৰ কাৰণে মই যুগে যুগে ধৰাত অৱতীৰ্ণ হওঁ –'সম্ভৱামি যুগে যুগে'। (শ্ৰীমদ্ভগৱদ্গীতা ৪।৭-৮)।

মুছলিমৰ পবিত্ৰ গ্ৰন্থ কোৰাণত স্পষ্টকৈ উল্লেখ কৰা আছে যে 'কোৰাণ শৰিফ' অৱতীৰ্ণ হোৱাৰ পূৰ্ব্বেও যিসকল ধৰ্ম্মগ্ৰন্থ ধৰাত অৱতীৰ্ণ হৈছিল সেই সকলত বিশ্বাস ৰখা প্ৰত্যেক মুছলিমৰ কৰ্ত্তব্য। (কোৰাণ ২।৪)। এইবোৰৰ ভিতৰত হজৰত মুছাৰ 'তৌৰাৎ' গ্ৰন্থ, হজৰত দাউদৰ 'জবুৰ' গ্ৰন্থ আৰু হজৰত ঈছাৰ 'ইঞ্জিল' গ্ৰন্থৰ স্পষ্ট উল্লেখ কোৰাণৰ যথাস্থানত পোৱা যায়।

এই কথা সৰ্ব্বজনসম্মত যে মহাসাগৰৰ যি ক্লেদ বা আবৰ্জ্জনা সি তাৰ উপকূল বা দাঁতিতহে থাকে। যিমানে তাৰ গভীৰতৰ ভ'গলৈ যোৱা যায় সিমানে তাক স্বচ্ছ আৰু সুনিৰ্ম্মল দেখা যায়। ধৰ্ম্মৰো আবৰ্জ্জনা তাৰ বহিৰাৱৰণত হে থাকে। মূলত সকলো ধৰ্ম্মই স্বচ্ছ আৰু পবিত্ৰ। কোৰাণত স্পষ্টকৈ কোৱা আছে যে 'ধৰ্ম্ম বিষয়ত বাধ্য-বাধকতা বা জোৰ-জুলুমৰ ঠাই নাই। (কোঃ ২।২৫৬)। যাৰে বিশ্বাস হয়, গ্ৰহণ কৰিব; যাৰে নহয় বৰ্জ্জন কৰিব। (কোঃ ১৮।২৯)। সত্য আৰু ন্যায় নিজ গুণে প্ৰকাশ পায়।

হজৰত মহম্মদ আৰু তেওঁৰ অনুচৰসকলে এসময়ত যুদ্ধত লিপ্ত হ'ব লাগিছিল সঁচা, কিন্তু সেই যুদ্ধৰ উদ্দেশ্য আছিল নিজৰ প্ৰাণ আৰু ধৰ্মাচৰণৰ স্বাধীনতা ৰক্ষা। হজৰত মহম্মদে মক্কাবাসীৰ লগত হোৱা যুদ্ধত তেওঁৰ অনুগামীসকলক দৃঢ়কণ্ঠে আদেশ দিছিল—'যিসকলে অস্ত্ৰ-শস্ত্ৰ লৈ তোমাক আক্ৰমণ কৰে তেওঁলোকৰ লগতহে ৰণ কৰিবা আৰু ৰণ কৰিবা [illegible] আল্লাৰ পবিত্ৰ নাম স্মৰণ কৰি, কিন্তু তাকে কৰোঁতে তোমাৰ সীমা পাৰ [illegible] নাশত [illegible] । কাৰণ, ন্যায়-নীতিৰ সীমা অতিক্ৰম [illegible] সকলক আল্লাই ভাল নাপায়।' (কোঃ ২।১৯০) 'উপৰোক্ত লোকসকলৰ [illegible] [illegible]' (কোঃ [illegible])

ইচ্‌লাম ধৰ্মৰ পোনতে মক্কাত আৰম্ভ হ'লত প্ৰবৰ্ত্তক হজৰত মহম্মদ আৰু তেওঁৰ অনুগামীসকলৰ ওপৰত ঘোৰ অত্যাচাৰ আৰম্ভ হ'ল। সেই অত্যাচাৰ অসহনীয় হোৱাত হজৰতৰ আজ্ঞামতে অনুগামী আবিচিনিয়ালৈ গৈ ৰজা নিগচৰ আশ্ৰয় লবলৈ বাধ্য হ'ল। সৰ্ব্বশেষত হজৰত মহম্মদেও হজৰত আবু বকৰৰ লগত আৰু হজৰত আলিৰ সহায়ত মক্কা ত্যাগ কৰি মদিনালৈ যাত্ৰা কৰিলে। মক্কাবাসীসকলে হজৰত আৰু তেওঁৰ অনুগামী-সকলক খেদি গৈ মদিনাতো আক্ৰমণ কৰিলে। উপায়ান্তৰ নাপাই হজৰত তেতিয়া আক্ৰমণকাৰী মক্কাবাসীৰ লগত সন্মুখ সমৰত প্ৰবৃত্ত হবলৈ বাধ্য হ'ল। মক্কাৰ লোক মদিনাৰ মুছলমানসকলক শান্তিৰে থাকিব নিদি নিৰ্দ্দয়ভাৱে অত্যাচাৰ আৰু আক্ৰমণ কৰাৰ কাৰণেহে একাধিক-বাৰ মক্কাবাসীৰ লগত মুছলমানসকলৰ যুদ্ধ হৈছিল। মক্কাবাসীৰ বলপূৰ্ব্বক ইচ্‌লামত দীক্ষা দিয়াৰ এটাও উদাহৰণ পাবলৈ নাই। হুদায়বিয়াত হোৱা সন্ধিৰ চুক্তিয়েও ইচলামৰ সহিষ্ণুতাৰে সাক্ষ্য দিয়ে। সেই সন্ধিমতে 'যদি মক্কাৰ কোনো বিধৰ্ম্মীয়ে ইচলাম গ্ৰহণ কৰি মুছলমান হয় তেওঁক মক্কাৰ পূৰ্ব্ব ধৰ্ম্মাৱলম্বী লোকৰ ওচৰত ঘোৰাই দিব লাগিব আৰু আন কালেদি কোনো মুছলমানে বিধৰ্ম্মীৰ ধৰ্ম্ম গ্ৰহণ কৰিলে তেওঁক মুছলমানসকলৰ হাতত ঘোৰাই নিদিলেও হ'ব'—এয়ে আছিল বন্দোবস্ত।

ধৰ্ম্মৰ মূল কথাবোৰ কেতবোৰ চিৰন্তন সত্যৰ ওপৰত প্ৰতিষ্ঠিত। সেই হেতুকে ধৰ্ম্মৰ অৱনতি ঘটিলেও বিনাশ নহয়। সকলো ধৰ্ম্মৰ মূল বাণী আৰু প্ৰচলিত আখ্যানবোৰৰ ভিতৰত থকা সাদৃশ্যবোৰৰ মূলতো সেই যুক্তি ধৰা পৰে। সেইকাৰণে ইচলামৰ আবিৰ্ভাৱৰ পূৰ্ব্বে ইহুদী, খৃষ্টান আদি ধৰ্ম্মৰ অনেক কাহিনীৰ মুখ্য ঘোষক [illegible] তেনেই স্বাভাৱিক। [illegible] পবিত্ৰ তোৰাৎ (Old-Testament), ইঞ্জিল (The Bible) আদি গ্ৰন্থৰ নীতি আৰু সমালোচনা অনেক ঠাইত স্পষ্ট হৈ পৰিছে। কোৰআনত আছে— ইব্ৰাহিম (আব্ৰাহাম) ইহুদীও আছিল, খৃষ্টানো আছিল; তেওঁ আছিল [illegible] এজন মুছলিম। [illegible] [illegible], [illegible] [illegible] [illegible]। ([illegible]) [illegible] (Prophet Joseph) প্ৰাৰ্থনাত কৈছিল—'প্ৰভু, মোক [illegible] [illegible] [illegible], [illegible] [illegible] [illegible] দিয়া।' (কোঃ ১২।১০১)। হজৰত মুছায়ো (Moses)

প্ৰাৰ্থনা কৰিছিল—'হে প্ৰভু, ধৈৰ্য্য ধৰিবলৈ আমাক শক্তি দিয়া; আমাক তুমি তোমাত আত্ম-সমৰ্পণকাৰী (মুছলিম) ৰূপেই মৰিবলৈ দিয়া। (কোঃ ৭।১ ৬)। এই ধৰ্ম-প্ৰচাৰকসকলে ইচলাম ধৰ্মতো নবী হিচাপে স্বীকৃতি লাভ কৰিছে। তেওঁলোকৰ কাহিনীবোৰো তদনুযায়ী পবিত্ৰ আখ্যানৰূপে গৃহীত হৈছে। এই কাহিনীবোৰ অকল মুছলিমসকলৰে নহয় সকলো ধাৰ্মিক লোকৰে শ্ৰৱণ, মনন আৰু আলোচনাৰ সামগ্ৰী।

আখ্যানবোৰৰ তুলনামূলক আলোচনা অতীৱ আমোদজনক অধ্যয়ন। উদাহৰণ স্বৰূপে পোনতে আদম আৰু হাওৱাৰ কথাকেই লোৱা যাওক। জগতৰ আদি মানৱ আদম-হাওৱাৰ কাহিনী বাইবেলতো আদম আৰু ইভৰ কাহিনী ৰূপে বৰ্ণোৱা আছে। ঘটনাটোও প্ৰায় একে, মাত্ৰ অ'ত ত'ত অলপ-অচৰপ পাৰ্থক্য আছে। কোৰাণৰ ইবলিচেই বাইবেলৰ চয়তান। ইবলিচৰ প্ৰৰোচনাত বিবি হাওৱাই আৰু তেওঁৰ জৰিয়তে শেষত আদমেও নিষিদ্ধ বৃক্ষৰ ফল ভক্ষণ কৰিলে আৰু দুয়োৰো লাজ-অপমানৰ চেতনা জাগিল। দুয়ো নিজ নিজ নগ্নতাৰ বাবে লাজ পালে। আদম আৰু ইভৰ এই পতনক বাইবেলত মানৱৰ প্ৰথম পাপ বুলিয়ে অভিহিত কৰা হৈছে। কোৰাণত কিন্তু তাক তেনেভাৱে লোৱা নাই। কোৰাণৰ মতে ই মানৱৰ সাধাৰণ মানৱীয় দুৰ্ব্বলতা। (কোঃ ২০।১'৫)। দুষ্ট লোকৰ প্ৰৰোচনাত পৰি মহাজ্ঞানীসকলৰো কেনেকৈ পদস্খলন হয় আৰু জীৱনত গ্লানি আৰু অপমান আহি পৰে তাৰে ই এটি ৰূপক বা ব্যঞ্জনা মাত্ৰ। আকৌ ঠিক তেনেকৈয়ে আদমক পয়দা কৰি উঠি সৃষ্টিকৰ্ত্তাই স্বৰ্গৰ ফিৰিস্তাবোৰক যেতিয়া কলে—'তোমালোক সকলোৱে এওঁক ছেজদা (প্ৰণাম) কৰা, মই এওঁক তোমালোকতকৈ শ্ৰেষ্ঠ কৰি মোৰ প্ৰতিনিধিৰূপে সৃষ্টি কৰিছো,'—তেতিয়া ইবলিচে সৃষ্টিকৰ্ত্তাৰ সেই আজ্ঞা মান্য কৰা নাছিল। পৃথিৱীতো যেতিয়া পয়গম্বৰ বা মহাত্মাৰ আবিৰ্ভাৱ হয়, তেওঁক সকলোৱে মানে, কিন্তু দুই এজোটা চয়তানে নামানে। অকল নমনাই নহয় তেওঁৰ অনিষ্ট সাধন কৰিবলৈও তৎপৰিকৰ হয়। এইদৰে কৃষ্ণ, বুদ্ধ, যীশু, মহম্মদ আদি মহাত্মাসকলৰ জীৱনত তেনে এনে অপমান, নিৰ্য্যাতন আদিৰ উদাহৰণ অনেক পোৱা যায়।

আকৌ সম্ৰাট ছাদ্দাদ, বা সম্ৰাট নমৰুদ যে কোৰাণ বা বাইবেলতহে ঘটি এনে নহয়, — তেনেকুৱা অহংকাৰী আৰু ধৰ্ম-বিদ্বেষী, ঈশ্বৰদ্ৰোহী ৰজা অন্য সম্প্ৰদায় বা সমাজতো অনেক আছিল। তাৰ উদাহৰণ হিৰণ্যকশিপু; তাৰ উদাহৰণ ৰজা হেৰোড।

কোৰাণত উল্লেখ কৰা হজৰত ইব্ৰাহিম আৰু হজৰত মুছা দুয়োকে দৈৱজ্ঞৰ বাণী শুনি তদানীন্তন সম্ৰাট যথাক্ৰমে নমৰুদ আৰু ফেৰাউনে যি পৰিমাণে ষড়যন্ত্ৰ কৰিছিল, সেই একে ধৰণৰ ষড়যন্ত্ৰ চলাইছিল তাহানি কৃষ্ণ-বধৰ কাৰণে কংসৰ ৰাজশক্তি। ইব্ৰাহিম আৰু মুছাক বধ কৰিবৰ কাৰণে অভিযান চলাওঁতে কিমান যে নিৰপৰাধী শিশুক হত্যা কৰা হৈছিল ভাবিলেও গা কঁপি উঠে। কংসই জানিবা একমাত্ৰ দৈৱকীৰ পুত্ৰসকলক বধ কৰিয়ে ক্ষান্ত আছিল—নমৰুদ আৰু ফেৰাউনে বধ কৰিছিল সেই সময়ৰ সকলো শিশুকে, নিজৰ প্ৰাণ আৰু নিজৰ ৰাজ-ক্ষমতা অক্ষুণ্ণ ৰাখিবৰ উদ্দেশ্যে। ইফালে হিৰণ্যকশিপুৰ হাতত ভক্ত প্ৰহ্লাদৰ যি দুৰ্ঘোৰ লটিঘটি আৰু নিৰ্য্যাতন হৈছিল সেই একে ধৰণৰ অত্যাচাৰ হৈছিল ভক্ত ইব্ৰাহিমৰ ওপৰত সম্ৰাট নমৰুদৰ দ্বাৰা। প্ৰহ্লাদৰ দৰে ইব্ৰাহিমকো জ্বলা জুইত পেলাই দি, শিল দলিয়াই আদি নানা প্ৰকাৰে নিৰ্য্যাতন দিবলৈ যত্ন কৰা হৈছিল। কিন্তু সকলো ব্যৰ্থ হ'ল। আল্লাৰ নিৰ্দ্দেশত অগ্নিও শীতল হৈ গ'ল। (কোঃ ২১।৬৯)।

আকৌ হজৰত ইব্ৰাহিমে তেওঁৰ পুত্ৰ ইস্মাইলক আল্লাৰ প্ৰত্যাদেশ পাই আল্লাৰ নামত কোৰবানি দিবলৈ ওলাইছিল—মক্কাৰ মীনা পৰ্ব্বতৰ ওপৰত। ভক্ত ইব্ৰাহিমৰ বিৰাট ত্যাগৰ এনে মহান আদৰ্শই আজিও সকলো ধৰ্মৰ লোকক সমানে আপ্লুত কৰে। বাইবেলৰ মতে আব্ৰাহামে তেওঁৰ দ্বিতীয় পুত্ৰ ইছ্‌হাকক হে প্ৰভু জিহোৱা'ৰ উদ্দেশ্যে বধ কৰিব খুজিছিল। ঠিক তেনেকৈ তাহানি ছদ্মবেশী ব্ৰাহ্মণ-কৃষ্ণক তুষ্ট কৰিবলৈ দাতা কৰ্ণয়ো নিজৰ পুত্ৰ বৃষকেতুক টুকুৰা-টুকুৰকৈ কাটি ৰান্ধি দিছিল। কিন্তু আল্লাৰ অনুগ্ৰহত ভক্ত ইব্ৰাহিমৰ পুত্ৰ ইস্মাইল বাচি যোৱাৰ দৰে ভগৱান কৃষ্ণ কৰ্তৃক মহিমাৰ প্ৰভাৱত মৃত বৃষকেতুৱেও প্ৰাণ পাইছিল। দুয়োটা ঘটনা তুল্য মূল্য [illegible]।

জুলেখাৰ নাম কোৰাণত উল্লিখিত নাই; কিন্তু ঘটনাটো হলে আছে। বাইবেলতো জুলেখাৰ নাম নাই, কিন্তু ঘটনাটো কিঞ্চিৎ পৃথক বৰ্ণনে আছে। কোৰাণৰ মতে ইউচুফৰ পিন্ধা চোলাটোৰ পিঠিৰ ফালে জুলেখাই আজুৰি ধৰি ফালি পেলাইছিল। বাইবেলৰ মতে জোচেফে (ইউচুফে) জুলেখাৰ হাতৰপৰা এৰাবলৈ লৰি যোৱাত তেওঁৰ গাৰ বস্ত্ৰ জুলেখাৰ শয়ন-কক্ষত ৰৈ গৈছিল আৰু তাকেই জুলেখাই মিছা ৰূপ দি কৈছিল যে জোচেফেহে দুষ্ট কৰ্ম্মৰ কাৰণে সৈ তেনেহে কাপোৰ এৰি গৈছিল। যি কি হওক, ৰূপৱতী জুলেখাৰ গুপ্ত প্ৰেম নিবেদনক উপেক্ষা কৰি নিৰ্ব্বিকাৰৰূপে থিয় দিছিল মহাত্মা ইউচুফ। এই ঘটনাৰ অনুৰূপ কাহিনী পুৰাণ, ভাৰত আদি ধৰ্ম্ম-পুথিতো একাধিক আছে।

দেৱগুৰু বৃহস্পতিৰ পুত্ৰ কচেও দৈত্যগুৰু শুক্ৰাচাৰ্য্যৰ যুৱতী কন্যা দেৱযানীৰ প্ৰেম-নিবেদন প্ৰত্যাখ্যান কৰিবলৈ সমৰ্থ হৈছিল। ভুৱন-মোহিনী অপ্সৰা উৰ্ব্বশীৰ প্ৰেম-নিবেদনো এসময়ত প্ৰত্যাখ্যান কৰিছিল মহাবীৰ অৰ্জ্জুনে। দিব্যাস্ত্ৰ আৰু নৃত্য-গীতাদি শিক্ষাৰ কাৰণে অৰ্জ্জুনে যি ইন্দ্ৰলোকত থেতিয়া সংযতব্ৰতী ছাত্ৰৰ দৰে কাল যাপন কৰিছিল, সেই সময়ত ইন্দ্ৰৰ নিৰ্দ্দেশমতে স্বৰ্গৰ অনিন্দ্য-সুন্দৰী অপ্সৰা উৰ্ব্বশীয়ে এদিন অৰ্জ্জুনৰ সঙ্গসুখ কামনা কৰিছিল। কিন্তু উৰ্ব্বশী কৌৰৱ বংশৰ মাতা কাৰণে অৰ্জ্জুনৰ মাতামহী আছিল। সেইবাবে তেওঁ উৰ্ব্বশীক মাতৃৱৎ জ্ঞান কৰিছিল। কামাতুৰা উৰ্ব্বশীয়ে অৰ্জ্জুনক যুক্তি দৰ্শাই কৈছিল—'অপ্সৰা কোনো দিনে কোনো নিয়মৰ বশবৰ্ত্তী নহয়।' তথাপিও অৰ্জ্জুনে তেওঁৰ মনোবাঞ্ছা পূৰ্ণ নকৰাত ক্ৰোধপৰবশ হৈ উৰ্ব্বশীয়ে অৰ্জ্জুনক নপুংসক হবলৈ অভিশাপ দিছিল। আত্মৰক্ষাৰ্থী আৰু সেই হেতুকে মাতৃ-স্বৰূপা যুৱতী জুলেখাকো হজৰত ইউচুফে মাতৃৱৎ জ্ঞান কৰিছিল; আৰু সেইবাবেই তেওঁ জুলেখাৰ প্ৰেম-নিবেদনকো প্ৰত্যাখ্যান কৰিবলৈ সমৰ্থ হৈছিল। নাৰী-আসক্তিৰ ব্যৰ্থতাৰ পৰিণাম হজৰত ইউচুফেও, অৰ্জ্জুনৰ দৰেই, ভাবকৈয়ে ভুগিব লগীয়া হৈছিল। আৰু ফলত তেওঁ দীৰ্ঘকালব্যাপী কাৰাবাস খাটিছিল।

কোৰাণৰ হজৰত ঈছাই, বাইবেলৰ জেচাচ বা যীশুখ্ৰীষ্ট। যীশুখ্ৰীষ্ট বা হজৰত ঈছাৰ মাতৃ কুমাৰী আছিল নে বিবাহিতা আছিল সেই সম্পৰ্কে বহুতো তৰ্কবাদ আছে। কুমাৰী মাতৃ মৰয়মৰ পুৰুষ-সংসৰ্গবিহীনভাৱে

ঘটা পুত্র লাভ কিন্তু হিন্দু শাস্ত্ৰমতে তেনেই সহজ, সৰল আৰু বিশ্বাসযোগ্য ঘটনা। মহাবীৰ কৰ্ণও কুমাৰী কুন্তীদেৱীৰ তেনে এটি সন্তান। হজৰত ঈছাৰ জন্মৰ সময়ত জেৰুজালেমৰ ৰজা হেৰডৰ আগত পণ্ডিত জনৰিয়েকে আহি দৈৱজ্ঞোক্তি কৰি কৈছিল—'মহাৰাজ, আকাশত এটা নতুন তৰা উদয় হৈছে। তাকে গণনা কৰি আমি জানিব পাৰিছো, আপোনাৰ ৰাজ্যত ইহুদীসকলৰ নতুন ৰজা এজন জন্মিছে। তেওঁ পৃথিবীত স্বৰ্গ-ৰাজ্য স্থাপন কৰিব। তেওঁক আমি প্ৰণাম কৰিবলৈ আহিছো।' জোৱান-ডা'কেও তেনেকৈ এসময়ত ভগৱানৰ সাক্ষাৎ প্ৰত্যাদেশ পাইছিল বুলি কথিত আছে। ভগৱান কৃষ্ণৰ জন্মৰ পূৰ্ব্বেও কংসই দৈৱবাণী শুনিছিল—

'যাক লৈয়া যাস কংস শুনৰে অজ্ঞান।
এহিৰ অষ্টম গৰ্ভে তোৰ লৈব প্ৰাণ ॥' দশম স্কন্ধ, শ্ৰীমদ্ভাগৱত

মীৰাবাঈৰ জন্মৰ পূৰ্ব্বেও যোগাভ্যাসত ৰত থকা সন্ন্যাসী জনচেৰেকে আকাশৰপৰা নামি অহা নক্ষত্ৰৰ গতি লক্ষ্য কৰি মীৰাবাঈৰ জন্ম সম্পৰ্কে ভৱিষ্যৎবাণী কৰিছিল বুলি প্ৰবাদ আছে। হজৰত মহম্মদৰ বহুকাল পূৰ্ব্বে হজৰত মুছা আৰু হজৰত ঈছায়ো সেই সম্পৰ্কে তেওঁলোকৰ নিজ নিজ গ্ৰন্থত নিৰ্দ্দেশ দিছিল।

আকৌ বসুদেৱে কৃষ্ণক কোলাত লৈ ওপজাৰ পাছতে যশোদাৰ ঘৰত লুকাই থবলৈ যাওঁতে যেনেকৈ ফোঁটফোটাকৈ বৈ থকা বান-বাৰিষাৰ যমুনা নদীয়ে আঁঠুলৈ বাট এৰি দিয়া, কাল সৰ্পে ফণা তুলি ধৰি শিশু কৃষ্ণক বাটত বৃষ্টিৰপৰা ৰক্ষা কৰা আৰু হজৰত ঈছাৰ মাতৃ মৰয়মক খেজুৰ গছে ফল যোগোৱা আৰু তেওঁক পানী যোগাবলৈ অজ্ঞান ঠাইতে পানীৰ নিজৰা ওলাই পৰা—এই সকলোবোৰ একে ধৰণৰ কথা। এইবোৰ কাহিনীয়ে ধৰ্মত নিহিত থকা সত্যক যোগ্যতাৰে আকৰ্ষণীয় কৰি তুলিছে।

কোৰাণ আৰু বাইবেলে দুয়োখন পৱিত্ৰ গ্ৰন্থৰ কাহিনীত কিছু কিছু মিল, গ্ৰন্থ আৰু ঠাইবোৰ এইদৰে মিলাই ললে অৱতাৰসকলৰ মিল দেখা যায়—

হজৰত আদম—Adam	হজৰত ইদ্ৰিছ—Enoch
বিবি হাওৱা—Eve	হজৰত দানিয়েল—Daniel

হজৰত নূহ—Noah	হজৰত ইয়াহৰিয়াহ—Jeremiah
,, ইব্ৰাহিম—Abraham	,, ইউছা—Joshua
,, ইছমাইল—Ishmael	,, দাউদ—David
,, এছহাক—Isaac	জালুত—Goliath
,, ইয়াকুব—Jacob	বনিয়ামিন—Benjamin
,, ইউচুফ—Joseph	ফেৰাউন—Pharaoh
,, হাৰুণ—Aaron	তালুত—Saul
,, মুছা—Moses	ইহুদা—Judah
,, ছোলেইমান—Solomon	এমৰাণ—Amran
,, আয়ুব—Job	ইয়াজুজ আৰু মাজুজ } Gog & Magog
,, জেকেৰিয়া—Zacharia	
,, ঈছা—Jesus	তাওৰাৎ—Torah
,, মৰয়ম—Mary	নাছাৰাত—Nazarath
,, জিব্ৰাইল—Gabriel	


মহাত্মাসকলৰ জীৱন সদায় অলৌকিক ঘটনাৰে ভৰপূৰ হৈ থাকে। আধ্যাত্মিক জীৱনত যিবোৰ সাধাৰণ ঘটনা, সাধাৰণ জীৱনত সেইবোৰেই অলৌকিক বুলি প্ৰতীয়মান হয়। সেইবাবেই দৈৱ-বাণী, প্ৰত্যাদেশ, বৰ, অভিশাপ আদি কথাবোৰ বিশ্বাস আৰু পতিয়নৰ দ্বাৰা গ্ৰহণ কৰি অনুভূতিৰ মাজেদিহে কেৱল তাৰ মূল্য নিৰ্ণয় কৰা যায়। এই ক্ষেত্ৰত 'বিশ্বাসে মিলায় হৰি, তৰ্কে বহুদূৰ' বোলা উক্তি পূৰ্ণমাত্ৰায় প্ৰযোজ্য।

এই পুস্তকত সন্নিৱিষ্ট কৰা কাহিনীকেইটাৰ পৰাও অন্ততঃ এইটো প্ৰতিপন্ন হব যে মানৱ সমাজৰ ধৰণী স্বৰূপ সত্য, বিশ্বাস, নিষ্ঠা, সাধুতা, আদি গুণবোৰৰ মূল্য মানুহক বুজাবৰ কাৰণে ভগৱানে যুগে যুগে কিছুমান যুগাৱতাৰ পুৰুষৰ সৃষ্টি কৰিছিল। সাধাৰণতে মানুহে সকলো কথা যুক্তি-তৰ্কৰ মাজেদি বুজিবলৈ যত্ন কৰে; কিন্তু মহাত্মা বা অৱতাৰী পুৰুষ বা পয়গম্বৰসকলৈ তেনে জ্ঞান অলৌকিকভাৱে অৱতীৰ্ণ হয়। এইদৰে অৱতীৰ্ণ হৈছিল বেদ; এইদৰে অৱতীৰ্ণ হৈছিল পবিত্ৰ কোৰাণ। সেয়ে নহলে নিৰক্ষৰ (উম্মি) পয়গম্বৰ এজনৰ দ্বাৰা কোৰাণ ৰচনা সপোনৰো অগোচৰ কাৰ্য্য।

দাৰ্শনিকসকলৰ কাৰণে যুক্তি যি, পয়গম্বৰ বা অৱতাৰী পুৰুষসকলৰ কাৰণে প্ৰত্যাদেশ (revelation) সেয়ে। যুক্তিয়ে পৃথক কৰণত সহায় কৰে বা কৰিয়াই দেখুৱায়, কিন্তু প্ৰত্যাদেশে অন্তৰত ঐক্য কৰি মিলনৰ যোগসূত্ৰ স্থাপন কৰে। কোৰাণৰপৰা আহৰণ কৰা এই কাহিনী কেইটাও আমাৰ গল্প-বস্তুৰ সহায়ত মিলনৰ যোগ-সূত্ৰ অন্বেষণৰে এটি প্ৰয়াস মাত্ৰ।

নবী, ৰচুল আৰু পয়গম্বৰ—এই তিনিটা শব্দ মুছলমানসকলৰ কাৰণে প্ৰায় একে অৰ্থ-সূচক। 'পয়গম্বৰ' ফাৰ্চী শব্দ, অৰ্থ বাৰ্তাবাহক বা ভগৱানৰ বাৰ্তা প্ৰচাৰ কৰি ফুৰা মহাপুৰুষ। পয়গম্—বাৰ্তা; বৰ (derived from বুৰ্দন—to carry) কঢ়িওৱা। 'ৰচুল' আৰবী শব্দ, অৰ্থ ভগৱানৰ প্ৰেৰিত পুৰুষ অথবা বাৰ্তাবাহক। 'নবী' শব্দই সাধাৰণ অৰ্থত উপৰোক্ত দুয়োবিধ মহাপুৰুষকে বুজায়। ভৱিষ্যৎবাণী কৰোঁতাজনকে নবী বোলা হয়। (নবী derived from নবা Arabic—prophacy)। এই পুথি ইচলামৰ এঘাৰ-জন নবীৰ কাহিনীৰ সমাবেশ।

'নবী-কথা'ত উল্লিখিত হজৰতসকলৰ বংশপঞ্জী—



নবী-কথা

হজৰত আদাম আৰু বিবি হাওৱা

দুনিয়াত মানুহৰ সৃষ্টি পোনতে কেনেকৈ হৈছিল সেই বিষয়ে সকলো ধৰ্মৰ গ্ৰন্থতে অলপ নহয় অলপ পোৱা যায়। সাধুকথাৰ নিচিনাকৈ সেই কথাবোৰ বৰ্ণোৱা আছে। ইছলাম ধৰ্মৰ মূল গ্ৰন্থ কোৰাণ শৰিফতো কেনেকৈ সৰ্ব্বশক্তিমান আল্লাহতালাই পোনতে মানুহ পয়দা কৰিছিল সেই বিষয়ে এটা সুন্দৰ কাহিনী আছে। সেইটো এনেকুৱা—

স্বৰ্গ আৰু নৰকৰ নাম আমি সকলোৱে শুনি থাকোঁহক। কোৰাণত স্বৰ্গক 'যন্নৎ' আৰু নৰকক 'নাৰ' বোলা হৈছে। তাকেই ক্ৰমে 'বেহেস্ত' আৰু 'দোজোখ' নামেৰেও জনা যায়।

এদিনাখন আল্লাহতালাই ফিৰিস্তাসকলক (স্বৰ্গৰ দূতসকলক) সম্বোধন কৰি কলে—'হে ফিৰিস্তাসকল, মই ইবাৰ দুনিয়াৰ মাটিৰে এটি প্ৰাণী সৃষ্টি কৰিম। সি হব দুনিয়াত মোৰ প্ৰতিনিধি। তাৰ নাম হব আদাম। কেনে দেখা ?'

ফিৰিস্তাসকলে, গিজ্‌গিজাই কৈ উঠিল 'আদামেনো দুনিয়াত তোমাৰ প্ৰতিনিধি হৈ কি কৰিব ? আমি দেখোন তোমাৰ স্তুতিনতি অহৰহ কৰিয়ে আছোঁ। আদমৰ বংশধৰসকলে তাত মিছাতে দন্দ-খৰিয়াল কৰি অশান্তি আৰু ৰক্তপাতহে সৃষ্টি কৰিব।'

আল্লাই কলে 'তোমালোকে মোৰ অনন্ত মহিমা আৰু অসীম জ্ঞানৰ কি আতি-গুৰি পাবা ? চাই থাকা বাৰু।'

আল্লাই তেতিয়া নিজ মুঠিমুতে দুনিয়াৰ পৰা মাটি এখামোচ লৈ তাৰে এটা মানুহ সাজিলে। সেই মানুহটোত তেওঁ নিজৰ আত্মা সংযোগ কৰি দিলত মানুহটো জীৱন্ত প্ৰাণী হৈ পৰিল। সেই মানুহটোক তেওঁ দেহৰ আৰু মনৰ প্ৰবৃত্তিবোৰ দান কৰিলে। এৱেঁই হ'ল হজৰত আদম। আদমক

তেওঁ পৃথিৱীৰ বস্তু-বাহানি আৰু জীৱ-জন্তুবোৰ জানিবৰ কাৰণে বিশেষ জ্ঞান দিলে।

তাৰ পাছত আল্লাই প্ৰথম এই জীৱ-জন্তুবোৰক ফিৰিস্তাসকলৰ সন্মুখলৈ আনি ফিৰিস্তাসকলক কলে—'বাৰু, তোমালোকে এইবোৰৰ বিষয়ে কোনে কি জানা মোক কোৱাচোন।' তেওঁলোকে কলে—'তুমি আমাক যি পৰিমিত জ্ঞান দিছা সিয়েই আমাৰ সম্বল। আমি কেনেকৈ কম?'

আল্লাই তেতিয়া আদমক আদেশ দিলে—'আদম, এওঁলোকক তুমি এই জীৱ-জন্তুবোৰৰ নাম কৈ দিয়াচোন।' আদমে আল্লাৰ আদেশত ফিৰিস্তা-সকলক এটা এটাকৈ সকলো জীৱ-জন্তুৰ নাম কলে। তাতেই আদমৰ জ্ঞান গৰিমাৰ শ্ৰেষ্ঠত্ব কিঞ্চিৎ প্ৰমাণ হ'ল।

তাৰ পাছত আল্লাই ফিৰিস্তাসকলক কলে—'তোমালোকে আদমক এতিয়া 'ছেজদা' (অৰ্থাৎ আদমৰ বাধ্যতা স্বীকাৰ) কৰা।' তাতে সকলো ফিৰিস্তাই আদমক নমস্কাৰ কৰিলে, কিন্তু নকৰিলে—ইব্লিচ্ নামৰ এটাই। ইব্লিচে কলে—'মোৰ জন্ম অগ্নিৰপৰা হৈছে। আদমৰ জন্ম দুনিয়াৰ লেতেৰা মাটিৰপৰা। গতিকে দেখা গৈছে, মই আদামতকৈ শ্ৰেষ্ঠ। আদমৰ মই বশ্যতা স্বীকাৰ কৰিম কিয়? মই তেওঁক নমস্কাৰ নকৰোঁ। উত্তমে অধমক জানো নমস্কাৰ কৰিব পায়?'

আল্লাই কলে—'তুমি যদি মোৰ আদেশ মান্য কৰিবলৈ টান পোৱা আৰু মোৰ কথামতে আদমক প্ৰণাম নকৰা, তেন্তে এই মুহূৰ্ত্ততে স্বৰ্গৰপৰা দূৰ হোৱা। সৃষ্টিৰ অন্ত নোহোৱালৈকে তুমি অভিশপ্ত হৈ থাকিবা। স্বৰ্গ-ৰাজ্য তোমাৰ দৰে অহঙ্কাৰীৰ কাৰণে নহয়।'

অভিশাপ অভিশাপেই; তাৰপৰা পৰিত্ৰাণ কাৰো নাই। ইবলিচে সেইটো বুজিব পাৰি কাকুতি কৰি কলে—'হে আল্লা, তেনেহলে তুমি মোক তোমাৰ কৰুণাৰপৰা সমূলঞ্চে বঞ্চিত নকৰি এই এটি মাত্ৰ বৰ দান কৰা—মই যেন মানৱক মোৰ ইচ্ছানুযায়ী ধৰ্ম্ম আৰু সত্যৰপৰা ভ্ৰষ্ট কৰিব পাৰোঁ।' আল্লাই কলে—'তথাস্তু। তুমি যাক সেই পথকে গ্ৰহণ কৰাগৈ। কিন্তু মনত ৰাখিবা, মোৰ একান্ত ভক্তসকলৰ ওপৰত হলে তোমাৰ কোনো প্ৰকাৰ প্ৰভুত্ব নাথাকিব, আৰু তোমাৰ প্ৰবোচনাত পৰি যিবিলাকে তোমাৰ অনুবৰ্ত্তী হ'ব, সিবিলাকৰ স্থান হ'ব নৰকত।

ইব্‌লিচে তেতিয়া ভাবিলে - এটা সামান্য অপৰাধৰ বাবেই কি প্ৰচণ্ড অভিশাপ! কি উগ্ৰ শাস্তি! বাৰু হয়ে—

'কৰিম কৰিব লগা উচিত বিধানমতে;

কৰিম যিমান পাৰো, শক্তিয়ে যিমান আটে।'—আজিৰপৰা তেন্তে মোৰো কৰ্ত্তব্য হব—আদমৰ বংশধৰসকলক পাকে প্ৰকাৰে প্ৰলোভনত পেলাই ধ্বংস কৰা।

(২)

এইদৰেই ইব্‌লিচৰ পতন হ'ল। আল্লাহতা'লাই কল্পনাতীত সৌন্দৰ্য্যেৰে পৰিপূৰ্ণ এখন বিচিত্ৰ উদ্যানত আদমক থাকিবলৈ দিলে। সেই উদ্যানত অনন্ত বসন্ত বিৰাজ কৰিছিল; ফল-ফুল সৰবহি নৰৈছিল; 'ছয় ঋতু এক কালে বসন্ত উদয়'—হৈছিল। চৰাই-চিৰিকিটিবোৰৰ গীত-ধ্বনিত্তো ৰৈ ৰৈ বাজি উঠিছিল অনন্তশক্তি করুণাময় আল্লাহতা'লা'ৰ ছন্দোময় স্তুতি গীতি।

চৌদিশে এনে মনোৰম দৃশ্য আৰু উলাহভৰ কোলাহলৰ মাজত থাকিও কিন্তু আদমৰ অন্তৰত যেন কিবা এটি অভাৱ, কিবা এটি উদাস ভাব সঘনে উদয় হৈছিল। প্ৰাণী-জগতত সকলোৰে সঙ্গ আছে, কিন্তু তেওঁৰ হলে নাই। তেওঁহে অকলশৰীয়া। নিঃসঙ্গ জীৱনৰ অৱসাদ আৰু শূন্যবোধ তেওঁৰ কাৰণে যেন দিনে দিনে ক্ৰমে দুৰ্ব্বহ হৈ আহিছিল।

অসীম জ্ঞানৰ অধীশ্বৰ আল্লাই তেতিয়া আদমৰ সেই অভাৱ দূৰ কৰিবৰ অৰ্থে আদমৰ শৰীৰৰপৰাই উপাদান লৈ এটি বিত্তোপন নাৰী-মূৰ্ত্তি সৃষ্টি কৰিলে এওঁৱেই নাম বিবি হাওৱা। আল্লাই তেতিয়া আদম আৰু বিবি হাওৱাক সেই উদ্যানত স্বামী-স্ত্ৰীভাৱে থাকিবলৈ দি কলে—'তোমালোক দুয়ো এতিয়া মনৰ সুখেৰে এই উদ্যানত বাস কৰা। ইয়াত থকা [illegible] সুস্বাদু ফলবোৰ তোমালোকৰ ভোগ্য হব। কিন্তু এটা কথা মনত ৰাখিবা, ভুলতেও কেতিয়াও সেই [illegible] গছজোপাৰ ওচৰলৈ নাযাবা [illegible] আখাবা [illegible] বাবে সৰ্ব্বনাশ হব। তাৰ ওচৰলৈ গলে তোমালোক [illegible] পৰিবা আৰু তেতিয়াই প্ৰলোভনকাৰী দুৰাচাৰ ইব্‌লিচে তোমালোকৰ অনিষ্ট সাধন কৰিবলৈ সুবিধা পাব'।

[illegible] ইব্‌লিচে [illegible]

[illegible] চেষ্টা চাই ফুৰিছিল। [illegible]

চয়তানে চলাহীভাবে আহি বিবি হাওৱাৰ ওচৰ চাপি কলে, 'আই, তোমালোক বাস্তৱিকে বৰ সুখী। তোমালোকৰ নিচিনা সুখী আৰু সুন্দৰীয়া জীৱ আৰু ক'তো নাই। তোমালোকে চাগে এই উদ্যানৰ সকলোবোৰ গছৰ ফল খাই পাইছা! নহয় জানো?'

হাওৱাই কলে,—'খোপাখোপে ভৰ্তি লাগি থকা সৌ সেইজোপা গছৰ বাহিৰে বাকী সকলোবোৰ গছৰ ফল আমি খাওঁ। সেইজোপাৰ ওচৰলৈ যাবলৈ আৰু তাৰ ফল খাবলৈ আল্লাই আমাক নিষেধ কৰিছে। আমি তাৰ ওচৰলৈও নাযাওঁ, তাৰ ফলো নাখাওঁ।'

চয়তানে কলে—'মই ঠিক তাকেই ভাবিছিলোঁ। কাৰণ, সেইজোপাহে এই উদ্যানৰ একমাত্ৰ অমৃত-বৃক্ষ। তাৰ ফল যি এবাৰ খায় তেওঁ অমৰ হয়। তাৰ সোৱাদ যি এবাৰ পায়, সি আৰু তাক জীৱনত পাহৰিব নোৱাৰে। তুমি লাগিলে গোপনে মোৰ কথাৰ প্ৰমাণ চাব পাৰা। বাঃ, ফলবোৰৰ যে কি অপূৰ্ব্ব আস্বাদ! ভাবিলেই জিভাৰ পানী পৰে।'

প্ৰলোভনৰ হাতসৰা সহজ নহয়। মহৎ লোকৰ জীৱনতো দুৰ্ব্বল মুহূৰ্ত্ত আহি পৰে। বিবি হাওৱাৰো সেয়ে হ'ল। চয়তানৰ চলাহী কথাত তেওঁ প্ৰত্যয় মানি নিষিদ্ধ গছজোপাৰ ওচৰলৈ গৈ তাৰ ফল নিজে তো খালেই, হজৰত আদমকো খুৱালে। সেই ফল খোৱাৰ লগে লগে দুয়োৰো বেহেস্তী পৰিধান শৰীৰৰপৰা সোলকি পৰিল। তেওঁলোক নগ্নতা দুয়োৰো চকুত জিলিকি পৰিল। দুয়োৰো মনত লজ্জাভাৱ উপজিল আৰু ততালিকে দুয়ো গছপাতেৰে লাজ ঢাকিবলৈ যত্ন কৰিলে।

আল্লাৰ অজ্ঞাত একো নাই। তেওঁ তেতিয়া পূৰ্ব্বৰ সতৰ্ক বাণী সোঁৱৰাই দি আদম আৰু বিবি হাওৱাক কলে—'তোমালোকক মই এই গছৰ ফল খাবলৈ নিষেধ কৰা নাছিলোঁ নে? তোমালোকে মোৰ বাক্য অমান্য কৰিলা' যেতিয়া, মোৰ উদ্যানৰপৰা আজিয়েই বাহিৰ হৈ যোৱা। তোমালোকে আৰু তোমালোকৰ সন্তি-সন্ততিসকলে পৃথিৱীত কপালৰ ঘাম মাটিত পেলাই জীৱন নিৰ্ব্বাহ কৰিব লাগিব।'

চয়তানকো আল্লাই কলে,—'এই নিৰ্বোধ নাৰীক কুপৰামৰ্শ দি তই ইহঁত দুয়োকো যি দুৰ্যোগ ঘটাই দিলি, গতিকে তাৰ কাৰণেই তই অভিশপ্ত

পৰা সাপৰ আকৃতি লৈ বুকুৰে চুঁচৰি বাট বুলিবি আৰু ইহঁতৰ পো-নাতিবোৰে তোৰ সতি-সন্ততিবোৰক দেখিলেই শেদি বধ কৰিব।'

আল্লাৰ অভিশাপত পৰি আদম আৰু হাওৱা দুয়ো বহু কাল পৰস্পৰ বিচ্ছিন্ন আছিল। অনেক নিকাৰ ভুঞ্জাৰ পাছত এদিন আৰাফতৰ মুকলি পথাৰত দুয়োৰো অকস্মাৎ মিলন হ'ল। নিজ নিজ অপৰাধৰ কাৰণে দুয়ো তেতিয়া ৰবকৈ অনুতাপ কৰি দয়াময় আল্লাহতালাৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিলে। তাতে তুষ্ট হৈ তেওঁ আদেশ দিলে—'তোমালোকৰ প্ৰাৰ্থনা মই গ্ৰহণ কৰিছোঁ। তোমালোক এতিয়া ইয়াৰপৰা যোৱা। তোমালোকৰ সতি-সন্ততিসকলৰ যিবোৰে মোৰ প্ৰেৰিত নবীৰ পথ অনুসৰণ কৰে, তেওঁলোকৰ কোনো ভয় নাথাকিব। যিবোৰে তেওঁলোকৰ উপদেশ আওহেলা কৰে সেইবোৰৰ বিনাশ হব।"

আদম আৰু হাওৱাই সেই ঠাই পৰিত্যাগ কৰিলে। যথাসময়ত তেওঁ-লোকৰ হাবিল আৰু কাবিল নামে দুটি পুত্ৰ উপজিল। পিছত, দুয়োৰো মাজত মনোবাদ হোৱাৰ ফলত কাবিলে হাবিলক হত্যা কৰিলে। তেতি-য়াৰেপৰা পৃথিৱীত দন্দ-খৰিয়ালৰ সূত্ৰপাত হ'ল। তাৰ পিছত হজৰত আদমৰ বহুত সতি সন্ততি উপজিল আৰু পৃথিৱীখন নৰ-মানুহেৰে ভৰি আহি-বলৈ ধৰিলে। হজৰত আদমে শেষত শিছ নামৰ পুত্ৰ এজনৰ ওপৰত নিজৰ সকলো দায়িত্ব সমৰ্পণ কৰি ৯৩০ বছৰ বয়সত মৃত্যুৰ শীতল কোলত জিৰণি ললে।

হজৰত নুহ আৰু মহাপ্লাৱন

দুনীয়াত আদম হাওৱাৰ আবিৰ্ভাৱৰ পাছত তেতিয়া প্ৰায় ভেৰ হাজাৰ বছৰ উকলি গৈছে। ইতিমধ্যে আদম-হাওৱাৰ বংশধৰসকল চাৰিও ফালে বিয়পি পৰিছে। মানুহৰ সংখ্যা বঢ়াৰ লগে লগে সমাজত নানা প্ৰকাৰ বিশৃংখলা উপস্থিত হৈছে। সৃষ্টিকৰ্তা আল্লাৰ প্ৰভুত্ব মানুহে লাহে লাহে পাহৰিবলৈ ধৰিছে। ধৰ্মৰ গ্লানি আৰু অধৰ্মৰ অভ্যুত্থান হোৱাত মানুহবোৰ কুসংস্কাৰত লিপ্ত হৈ পৰিছে। পতনমুখী সমাজখন ৰক্ষা কৰিবৰ কাৰণে এই সময়তে হজৰত নুহৰ আবিৰ্ভাৱ হয়।

আল্লাহতালাৰ কৰুণা লাভ কৰি হজৰত নুহ এজন মহাজ্ঞানী ৰচুল হৈ পৰিছিল। তেওঁ কিন্তু নিচেই সাধাৰণ লোকৰ দৰে জীৱন যাপন কৰিছিল আৰু তেওঁৰ সঙ্গীসকলক প্ৰকৃত ধৰ্মজ্ঞান দিবলৈ যত্নপৰ হৈছিল। গোনতে অতি সাধাৰণ শ্ৰেণীৰ গোটাচেৰেক লোকেহে মাত্ৰ তেওঁৰ ধৰ্মোপদেশ গ্ৰহণ কৰি এক আল্লাত বিশ্বাস কৰিছিল. বাকী লোকসকলে তেওঁক মাথোন নানা প্ৰকাৰে উপহাস কৰিছিল। হজৰত নুহে যেতিয়া কৈছিল—তোমালোকে এক আল্লাত বিশ্বাস নকৰা কিয়? তেওঁত বাহিৰে সৃষ্টিৰ হৰ্তাকৰ্তা আৰু কোন আছে? মই তেওঁৰ প্ৰেৰিত পয়গম্বৰ, আৰু মোক সত্যত বিশ্বাস কৰি তোমালোকে কৰুণাময় আল্লাহতালাৰ একত্ব আৰু অদ্বিতীয়ত্ব মানি লোৱা আৰু সেইমতে তেওঁৰ উপাসনা কৰা।

মানুহবোৰে নুহৰ এনে কথাৰ প্ৰত্যুত্তৰত কলে—সেইটো আমি কেনেকৈ বিশ্বাস কৰিম? তোমাৰ অনুগামী লোক দেখো মুষ্টিমেয় দৰিদ্ৰলোকহে মাত্ৰ। তুমি ভাবিছানেকি সেই তিৰস্কৃতজনৰ সমাজে আমিও গ্ৰহণ কৰিম? আৰু তুমি বাৰু কি সাহসত নিজক ৰচুল বুলি প্ৰচাৰ কৰিবলৈ আহিছা? তুমিও যেনেকৈ আমাৰ দৰেই সাধাৰণ লোক। গতিকে আমাক বাটু দেখুৱাই দিবৰ তোমাৰ কোনো অধিকাৰ নাই।

হজৰত নুহে কলে—নীচ কথা; মনো তোমালোকৰ দৰে মানুহৰ

[illegible]

তেওঁৰ নিদৰ্শনৰ দ্বাৰা মোক গৌৰৱান্বিত কৰিছে, তেওঁৰ বিশেষ ককণা মোৰ ওপৰত বৰিষণ কৰিছে। গতিকে তোমালোকে মোৰ কথাত বিশ্বাস কৰা আৰু মই প্ৰচাৰ কৰা ধৰ্ম্মবাণী গ্ৰহণ কৰা। মই মোৰ এই কামৰ বাবে তোমালোকৰপৰা অৰ্থ-সম্পত্তি একো বিচৰা নাই। আৰু মোৰ এই দৰিদ্ৰ অনুগামীসকলৰ কথা যে তোমালোকে কৈছা—মোৰ মানত তেওঁলোক পুণ্যবান লোক। আল্লাত বিশ্বাস ৰখা এই লোকসকলক মই বাৰু ত্যাগ কৰিম কেনেকৈ? তেওঁলোকক হেয়জ্ঞান কৰিলে মই নিজেই আল্লাৰ গজবৰ পৰা মুক্তি নাপাম। তোমালোকে মোৰ কথা শুনা, নহলে কাৰো পৰিত্ৰাণ নাই।'

হজৰত নুহৰ কথাত সকলোৱে আমোদ পালে। তেওঁলোকে ইতিকিং কৰি কলে, 'বাৰু, তৰ্ক-বিতৰ্কৰ আৱশ্যক নাই। তোমাৰ কথা নুশুনিলে আমাৰ যি শাস্তি হব বুলি তুমি ভয় দেখুৱাইছা তাতৈ আমি কেৰেপ কৰা নাই। আমাৰ যি হয় হব, তুমি তাৰ বাবে মূৰ ঘমাব নালাগে। তোমাক কিন্তু এতিয়াও সাৱধান কৰি দি কৈছোঁ যে তুমি যদি এই ইতৰ শ্ৰেণীৰ লোকসকলৰ লগ হৈ বলিয়ালিত ৰত থাকা তেনে তাৰ পৰিণাম শোচনীয় হব। আমি শিলগুটিৰেই তোমালোকক যথোচিত শিকনি দিম।'

হজৰত নুহে তেতিয়া আকৌ কলে 'তোমালোকৰ মঙ্গলৰ কাৰণেই মই পুনঃ কওঁ তোমালোকে সত্য পথ গ্ৰহণ কৰা। এক আল্লাত শৰণ লোৱা। নহলে উগ্ৰ শাস্তি ভুগিবাইক।'

বিদ্ৰোহী দেশবাসীবোৰে কলে—'তৰ্কৰ আৱশ্যক নাই। তোমাৰ যদি শক্তি আছে, আৰু তুমি যদি সঁচাকৈয়ে আল্লাৰ প্ৰিয় ভক্ত, তেন্তে আমাৰ ওপৰত বাৰু শাস্তি বিধান কৰা। আমি সজু আছোঁ। ভয় নকৰোঁ।'

'তাৰ পাছত এই অহঙ্কাৰী লোকবোৰে কেৱল যে হজৰত নুহক ঠাট্টা-মস্কৰাকে কৰিলে এনে নহয়, তেওঁক ধৰি নানা প্ৰকাৰে নিৰ্য্যাতন দিবলৈও ধৰিলে। [illegible] মুখিয়াল মুখিয়াল লোকবোৰে হজৰত নুহক উপলক্ষ কৰি [illegible] ধৰিলে—'এওঁ মুখৰ কথাৰেই আমাৰ ওপৰত প্ৰভুত্ব কৰিবলৈ [illegible] [illegible]

আমি আমাৰ বোপা-ককাইতৰ পৰাও তেনেবোৰ কথাকে শুনি আহিছো। এওঁৰ ভুৱাত কোনোৱে প্ৰত্যয় নাযানিবাহক।''

এনেবোৰ কথা শুনি হজৰত নূহ অধীৰ হ'ল। তেওঁ প্ৰাৰ্থনা কৰি আল্লাৰ ওচৰত নিবেদন কৰিলে—'হে বিশ্বপতি আল্লা, তেওঁলোকে মোৰ ওপৰত যি অসত্য আৰু অবিশ্বাস আৰোপ কৰিছে—তাক দূৰ কৰিবলৈ তুমি মোক সহায় কৰা প্ৰভু! নহলে মোৰ পক্ষে এই কাৰ্য্য অসম্ভৱ হৈ পৰিব লাগিছে। এইবোৰ লোকক উপযুক্ত শিক্ষা নিদিলে সিহঁতে তোমাৰ সেৱক-সকলকো কুপথলৈ নিব। ইহঁতৰ সন্তি-সন্ততিবোৰো বিপথ-গামী আৰু অকৃতজ্ঞ হ'ব।'

আকাশ-পৃথিৱী বিকম্পিত কৰি গুৰু-গম্ভীৰ ধ্বনিত তেতিয়া নূহৰ প্ৰতি প্ৰত্যাদেশ হ'ল—'এই মানুহবোৰৰ কথাত তুমি হতাশ নহবা। তুমি তুৰন্তে এখন সুবৃহৎ নৌকা নিৰ্মাণ কৰিবলৈ লোৱা। এই অকৃতজ্ঞ কুকৰ্ম্মীসকলৰ কাৰণে তুমি আৰু মোৰ ওচৰত প্ৰাৰ্থনা নকৰিবা। সিহঁতৰ বিৰিলাকে তোমাৰ উপদেশ শুনলে সেইবিলাক অবশ্যেই অথাই-সাগৰ বানপানীত বুৰি মৰিব, পৰিত্ৰাণ নাই।'

হজৰত নূহে নৌকা গঠন কৰিবলৈ লাগি গ'ল। বৰষুণ নাই, বানপানী নাই, আনকি আকাশত ডাৱৰ এচটাও ক'তো কেনিও দেখিবলৈ পোৱা নাযায়। সদায় সুনিৰ্ম্মল আকাশখন টৌটোৱা ব'দ আহি আছে। এনে অৱস্থাত হজৰত নূহে অবিৰামভাৱে সদায় নৌকা নিৰ্মাণত লাগিছে। তেওঁৰ তেনে কাৰ্য্যত কিমানে কিমান প্ৰকাৰে যে ঠাট্টা-মস্কৰা কৰি তেওঁৰ কাৰ্য্য কৌতুহলেৰে চাই যাবলৈ ধৰিলে তাৰ আদি-অন্ত নাই। এইদৰে দিন যাবলৈ ধৰিলে।

হজৰত নূহৰ নাও সম্পূৰ্ণ হ'ল। মহাপ্লাৱনৰ সময়ো ওচৰ চাপিল। নূহৰ প্ৰতি আল্লাৰ পৰা আদেশ আহিল—'নূহ, নিৰ্দিষ্ট সময় ওচৰ পাইছহি। তুমি তোমাৰ প্ৰয়োজনীয় জন্তুবোৰৰ এযোৰকৈ বাছি বাছি [illegible] তোলা। তোমাৰ পৰিয়ালৰ [illegible] আৰু তোমাৰ [illegible] বিশ্বাসী আৰু [illegible]সকলকো [illegible]। তুমি [illegible] [illegible] [illegible] [illegible] [illegible] হওঁতা হব [illegible] [illegible] [illegible] কৰিবলৈ [illegible]

আকাশ ওভোলাই আছিল। নেৰানেপেৰাকৈ বৰষুণ হ'বলৈ ধৰিলে। একেৰাহে চল্লিচ দিন বৰষুণ হ'ল। প্ৰলয়ৰ ধাৰাসাৰ বৃষ্টিত ৰ-বাম পানীৰে একাকাৰ হ'ল। বৰষুণৰ প্ৰকোপ বাঢ়িছে যাবলৈ ধৰিলে আৰু প্ৰলয়-পয়োধিজলে ক্ৰমে সকলোকে গ্ৰাস কৰি আছিল। অথাই-সাগৰ পানীত পৰি সকলো জীৱ-জন্তুৱে ফকৰকাৰলৈ ধৰিলে। এই যেন মহাপ্ৰলয়তো কিন্তু হজৰত নূহৰ নৌকা আৰোহণকাৰীসকলক বুকুত লৈ নাচি-ৰাগি উটি ফুৰিবলৈ ধৰিলে।

পানীত ওপঙি ঢকা-ডিঙৰা-লগাসকলৰ ভিতৰত হজৰত নূহৰ এগৰাকী পত্নী আৰু তেওঁৰ কেনান নামৰ পুত্ৰ এটাও আছিল। হজৰতৰ কাৰ্য্যৰ ওপৰত তেওঁলোকৰো বিশ্বাস আৰু আস্থা নাছিল।

হজৰত নূহৰ বিৰাটকায় নৌকাখনৰ ওচৰতে তেওঁৰ পুত্ৰেক কেনানে পানীত ন'তুৰ সাতুৰি পৰিত্ৰাণৰ কাৰণে কৰংকাই আছিল। তাকে দেখি হজৰতৰ অন্তৰত কৰুণা উপজিল। তেওঁ কলে - 'বাছা, তই এই পাষণ্ডবোৰৰ লগত মৰিবলৈ ওলাইছ কিয়? এতিয়াও তই কাষলৈ আহি আমাৰ নাৱত ধৰহি। নহ'লে পৰিত্ৰাণৰ উপায় নাই।'

কেনানে উত্তৰ দিলে— সাতুৰি গৈ আমি সৌ পৰ্ব্বতখনত উঠিম। তোমাৰ নাৱত নুঠো।' কথাষাৰ কোৱাৰ লগে লগেই এটা প্ৰকাণ্ড ঢৌ আহি কেনানক কোবাই লৈ বহুত দূৰ পোৱালেগৈ। অপত্যস্নেহত অভিভূত হৈ হজৰত নূহে নৌকাৰ মাজতেই প্ৰাৰ্থনা কৰি কলে—'হে বিশ্বপতি বিভু, প্ৰলয়ৰ এই জলৰাশিৰপৰা মোৰ পুত্ৰ কেনানক তুমি ৰক্ষা কৰা। তুই হলেও সি মোৰ পৰিয়ালৰে এজন। তোমাৰ জানো প্ৰতিজ্ঞা নাছিল যে তুমি মোৰ পৰিয়ালৰ সকলোটি প্ৰাণীকে ৰক্ষা কৰিবা? তাৰ প্ৰাণ বচাই তোমাৰ প্ৰতিজ্ঞা সাৰ্থক কৰা, প্ৰভু!'

হজৰত নূহৰ কাতৰ প্ৰাৰ্থনা একেবাৰে বিফলে গ'ল। সেই পলতে আকাশীবাণী হ'ল—'শুনা নূহ। বিচাৰত ভুল নকৰিবা। [illegible] তোমাৰ [illegible]

[illegible]

[illegible]

এইদৰে বিপথগামীসকলৰ লগতে কেনানো পানীত বুৰি মৰিল। মহা-প্ৰলয়ৰ জলৰাশিয়ে কাস্পিয়ান সাগৰ আৰু আৰাৰত পৰ্বতৰ মাজৰ সমস্ত ভূমিখণ্ড প্ৰায় ছমাহ ধৰি পানীৰ তলত বুৰাই ৰাখিছিল। তাৰ পাছত এদিন জল-স্থল-আকাশ-নভোমণ্ডল কঁপাই আল্লাৰ আদেশ হ'ল —'হে ধৰিত্ৰী, তোমাৰ বক্ষৰ এই বিপুল জলৰাশি তুমি শোষণ কৰা। হে শূন্যৰ মেঘদল, তোমালোক অন্তৰ্ধান হোৱা।' লগে লগে ক্ৰমে ক্ৰমে পানী শুকাই গ'ল; আকাশ নিৰ্মল হ'ল। হজৰত নূহৰ নৌকা গৈ আৰ্মেনিয়াৰ জুদী পৰ্বতত লাগি ধ'ল। যাত্ৰীসকলৰে সৈতে তেওঁ সেই পৰ্বতত নৌকাৰপৰা অৱতৰণ কৰিলে। কথিত আছে যে এই মহাপ্ৰলয়ত হজৰত নূহৰ চল্লিশজন অনুবৰ্তীত বাহিৰে বাকী সকলোৱে ধ্বংসপ্ৰাপ্ত হৈছিল। সেইবাবে হজৰত নূহক দ্বিতীয় আদম নামেৰেও অভিহিত কৰা হয়। তেওঁৰ তিনি পুত্ৰ ছাম, হাম আৰু ইয়াফজৰ বংশধৰবাই এছিয়া, ইয়ুৰোপ আৰু আফ্ৰিকাৰ বিভিন্ন দেশত বিভিন্ন লোকৰ বসতি বিস্তাৰ কৰে। ছামৰ বংশতেই বহুকাল পাছত হজৰত ইব্ৰাহিমৰ জন্ম হৈছিল।

হজৰত হুদ আৰু সম্ৰাট ছাদ্দাদ

জাহানি আৰব দেশত এটা বৰ পৰাক্ৰমী ফৈদ আছিল, নাম আদ। আদ বংশৰ লোকসকল জন্মিছিল সঁচাকৈয়ে যেন ৰাজ্য শাসন কৰিবৰ কাৰণেই— এনে নিপোতল আছিল তেওঁলোকৰ চেহেৰা, এনে থুলতৰ আছিল তেওঁলোকৰ অঙ্গ-প্ৰত্যঙ্গ আৰু বুকুত আছিল এনে সাহ-পিত্ত।

সেই আদ বংশৰে এজন বাদছাহৰ নাম আছিল ছাদ্দাদ। ছাদ্দাদৰ বিজয় বাহিনীক প্ৰতিৰোধ কৰিব পৰা শক্তি সেই সময়ত পৃথিৱীত অন্য এটা নাছিল। নিজ বাহুৰ বলেৰে ছাদ্দাদ হৈ পৰিছিল এখন বিশাল ৰাজ্যৰ অধীশ্বৰ। যিফালেই মুখ ঘূৰায় সেই ফালেই তেওঁ শুনিবলৈ পায় তেওঁৰেহে গুণ-গান, তেওঁৰেহে গৌৰৱ-কীৰ্ত্তন। নিজ দৰবাৰৰ কথাটো কবই নালাগে বিশ্বাসকলে তেওঁৰ অভিলাষৰ ক্ষুদ্ৰ ইঙ্গিত পালেই তাক তুৰন্তে কামত পৰিণত কৰিবলৈ হেতা-ওপৰা লগাইছিল! পিছে, অপৰিমিত ক্ষমতা আৰু তোষামোদকাৰীসকলৰ অলীক বন্দনা, এই দুয়োটায়ে কিন্তু অগ্নিত বায়ু সংযোগ হোৱাৰ দৰে হৈ মানুহক নিজৰ প্ৰকৃত শক্তিৰ পৰিসীমা পাহৰাই দিয়ে। তেতিয়া তেওঁ সমাজৰ নীতি-নিয়ম আৰু ধৰ্ম্মৰ উপদেশবোৰলৈ ভ্ৰূক্ষেপ নিদিয়া হয়! সম্ৰাট ছাদ্দাদৰো সেয়ে হ'ল। তেওঁৰ মুখৰ কথাই আইন হবলৈ ধৰিলে। বহু-বিচাৰ তাত নাই, যুক্তি তৰ্ক তাত নাখাটে।

এইদৰে দিন গৈ আছে। তেতিয়া আৰব দেশৰ মানুহবোৰে মূৰ্ত্তিপূজা কৰিছিল আৰু বতাহ-ধুমুহা, বিজুলী-ঢেৰেকণি, গছ-গছনি আদিকো দেৱতা বুলি মানিছিল। সম্ৰাট ছাদ্দাদে তেতিয়া জনাই দিলে যে ৰাজ্যৰ সকলো মানুহে সম্ৰাটৰ মূৰ্ত্তিত বাহিৰে অন্য মূৰ্ত্তি পূজা কৰিব নোৱাৰিব। তেওঁ নিজেই যেন সৰ্ব্বশক্তিমান আল্লাৰ স্থান অধিকাৰ কৰি বহিল। ৰাজ্যত্তো যেনে আজ্ঞা তেনে কাম হ'ল। সেই দিন ধৰি সম্ৰাটৰ মূৰ্ত্তিপূজা ঘৰে ঘৰে আৰম্ভ চলিবলৈ ধৰিলে। মানুহে নিৰিবিলি নিৰৱে কাটিলেও, অন্তৰ্যামীৰ মূল আধাৰ আল্লাহতালাৰ কথা-পাহৰি আছিল।

ইয়াকে দেখি হজৰত হুদ নামে আল্লাৰ পয়গম্বৰ এজনে ভাবিলে, সম্ৰাটৰ নিশ্চয় মতিভ্ৰম হৈছে। তেওঁৰ মনত আদি-মানুহৰ মন, [illegible] খোদাতালাৰ ফালে চাল খুৱাৰ মোহাবিষ্ট [illegible] হব লোকাকে। ইয়াকে ভাবি তেওঁ আহি সম্ৰাটৰ দৰবাৰত উপস্থিত হ'ল আৰু কলে, 'তুমি যায় সম্ৰাটে যেনো নিজেই খোদাৰ আসন অধিকাৰ কৰিবলৈ [illegible]। যেয়ে যদি হয় তেন্তে এই দুঃসাহস সম্ৰাটে, দুখতে এৰি [illegible], আৰু খোদা আল্লাৰ একান্ত ভক্ত হওক; নহলে ইহকাল, পৰকাল কতো যে [illegible] নাই। মই ইয়াকে কবলৈহে দৰং সম্ৰাটৰ ওচৰ পাইছোহি।'

হজৰত হুদৰ এনে দুঃসাহস দেখি দিবৰাসৱল ভয়ত তেনেই, স্তব্ধ লাগিল। সকলোৱে মুখৰ মাত হেৰাল। কিংকৰ্তব্যবিমূঢ় হৈ সকলোৱে সম্ৰাটৰ মুখলৈ চাই ৰ'ল। সম্ৰাটে হজৰত হুদৰ ফালে চাই কলে, 'দৰিদ্ৰ ফকীৰ, তোমাৰ এই অতপালিৰ ফল কি হব পাৰে ইয়াক ভাবিছানে? এই দাম্ভিকতাৰ কাৰণে মই তোমাক এই মুহূৰ্ত্ততে খণ্ড-বিখণ্ড কৰাব পাৰোঁ; পিছে, সেইটো নকৰোঁ। চিকা মাৰিলে নিজৰহে হাত গোন্ধায়। গতিকে তোমাক মই প্ৰাণে নামাৰি এৰি দিলোঁ। তুমি মোৰ দৰবাৰৰ পৰা আঁতৰি গুচি যোৱা, নহলে কথা বিষম হব।'

হজৰত হুদে উত্তৰ দিলে—'মই গুচি যাম সঁচা মহাৰাজ, কিন্তু আপোনাৰ দুৰ্বুদ্ধিত মোৰ দুখ লাগিছে। খোদাতালাক অৱহেলা কৰি আপুনি নিজৰ মঙ্গল-পথত কাইট বাছিছে; হাতৰ কুঠাৰ ভৰিত মাৰিছে। আপোনাৰ এই ৰাজশক্তিৰে সুখৰ সুন্দৰ দেহেৰে হাততে লাজ কৰিও পৰিহাৰ কৰিব ওলাইছে। এই ধূলি-খেমালিৰ ভুল এদিন পৰিব, মহাৰাজ! তেতিয়াহে আপুনি বুজিব কি মস্ত ভুলকে আপুনি কৰিলে!

সম্ৰাট ছাদ্দাদৰ মনত অলপ খং উঠিছিল যদিও, হুদৰ কথাবোৰ শুনি তেওঁ বলিয়াৰ কাকতি-দুকুতাত আমোদ পোৱাৰ দৰে আমোদো পালে। তেওঁ কলে, 'ফকীৰ, তোমাৰ খোদাৰ দুনীয়া যেহেতুখন মোৰ এই সোণৰ ৰাজধানীতকৈও ৰমণীয়নে? যদি সি মোৰ ৰাজধানীৰ দৰেও হয়, তেন্তে তাক মই অলপ দিনৰ ভিতৰতে [illegible] [illegible] অধিক বুদ্ধিমান!'

সম্ৰাটৰ কথাত পয়গম্বৰ চিৰ থৰহৰি কঁপিবলৈ ধৰিলে। তেওঁ সহীনাই কলে,— 'এই বৃদ্ধটোৰ পৰিণাম কিন্তু অতি ভয়াবহ, সম্ৰাট! ইমান স্পৰ্দ্ধা, ইমান দম্ভ-অহংকাৰ খোদাই কেতিয়াও সহ্য নকৰে।'

পয়গম্বৰৰ মুখৰ কথা শেষ হবলৈ নৌপাওঁতেই সম্ৰাটৰ ইঙ্গিতত তেওঁক ৰাজ-দৰবাৰৰপৰা বহিষ্কাৰ কৰি পঠোৱা হ'ল। লগে লগেই সম্ৰাটে আদেশ জাৰি কৰিলে যে তেওঁ এখন বেহেস্ত নিৰ্মাণ কৰাব, তাৰবাবে উপযুক্ত ঠাই এডোখৰ বিচাৰি উলিয়াব লাগে। সম্ৰাটৰ আদেশ পাই দৰবাৰৰ বিষয়াসকল তেতিয়া তেতিয়াই ঠাই বিচৰাত লাগি গ'ল। বহুত কষ্ট, বহুত অন্বেষণৰ অন্তত তেওঁলোকে ইয়মন দেশত এডোখৰ উপযুক্ত ঠাই মনোনীত কৰিলে। সম্ৰাটে নিজেও সেই ঠাই বেহেস্ত নিৰ্মাণৰ বাবে প্ৰশস্ত বুলি অনুমোদন কৰিলে।

বেহেস্ত নিৰ্মাণৰ কাৰণে উপযুক্ত ঠাই নিৰ্ব্বাচিত হোৱাত সম্ৰাটৰ মনত নানা ৰকমৰ পৰিকল্পনাৰ ঢৌ আহিবলৈ ধৰিলে। তেওঁ তেতিয়া আদেশ জনাই দিলে যে নানান দেশৰপৰা আহৰণ কৰা বছা-বছা মাণিক-মুকুতা হীৰা-মৰকত আদি বহুমূলীয়া পাথৰেৰে তেওঁৰ বেহেস্তখন বিচিত্ৰ কৰি গঢ়ি তুলিব লাগে। সম্ৰাটৰ আদেশত তদনুযায়ী চাৰিও ফালৰপৰা ধন-ৰত্নাদি আহি উপস্থিত হৈ পৰিল। অলেখ বাছকবনীয়া শিল্পী আৰু সুনিপুণ কাৰিকৰ সম্ৰাট ছাদ্দাদৰ বেহেস্ত নিৰ্মাণত অহোৰাত্ৰ লাগি গ'ল।

যথাসময়ত বেহেস্ত সম্পূৰ্ণ হৈ উঠিল। তাৰ ঘৰবোৰত লগোৱা মণি-মুকুতাৰ জিলমিলনিয়ে শ-শ মাইল দূৰৰপৰাই দৰ্শকৰ চকু চাট্ মাৰি ধৰা হ'ল। আলি-পদূলি, বাট-ঘাট, নৈ-নিজৰা, পুখুৰী-সৰোবৰ, বন-উপবন আদিৰ নিৰ্মাণৰ কাৰুকাৰ্য্যই সঁচাকৈয়ে কল্পনাৰ স্বৰ্গলোক বাস্তৱলৈ নমাই আনিলে। এইহেন বেহেস্তত দিনে-নিশে হুৰ অপূৰ্ব সুৰত নাচ-গান চলিবলৈ ধৰিলে।

বেহেস্তত সম্ৰাটৰ প্ৰথম প্ৰৱেশ উপলক্ষে সাজ-সজ্জা আৰম্ভ হ'ল। [illegible] [illegible] সম্ৰাটৰপৰা বেহেস্তলৈ প্ৰৱেশদ্বাৰ, পথ [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] বিচিত্ৰ [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] প্ৰৱেশৰ কাৰণে আহ্বান জনোৱা [illegible] [illegible] [illegible] [illegible]

সম্ৰাট ছাদ্দাদে শুভক্ষণত দৰবাৰৰ উজীৰ নাজিৰ, কটকী-ওমৰাও সবাকে লগত লৈ বেহেস্তলৈ যাত্ৰা কৰিলে। দূৰৰপৰাই নৱ-নিৰ্ম্মিত বেহেস্তৰ সৌন্দৰ্য্য দেখি আহ্লাদত তেওঁৰ মন নাচি উঠিল। আঙুলিৰে দেখুৱাই লগৰীয়াসকলক তেওঁ ঘনে ঘনে কবলৈ ধৰিলে—'সৌৱা মোৰ বেহেস্ত! চোৱা, চোৱা তাৰ সৌন্দৰ্য্যই চকু ছাট মাৰি ধৰে। তাত গোৱা মধুৰ গীত-ধ্বনি বতাহত আহি বৈ বৈ আমাৰ কাণত বাজিব লাগিছে। এই বেহেস্তৰে মই হম একছত্ৰী সম্ৰাট, সৰ্ব্বশক্তিমান খোদা; আৰু তোমালোক হবা তাৰ ফিৰিস্তা! অনিন্দ্যসুন্দৰী পৰীসকলে বেতিয়া বিবিধ ভঙ্গিমাত নাচি নাচি গীত গাবলৈ ধৰিব, তেতিয়া, বাঃ বাঃ কিযে আনন্দ হব!'

এনেকৈয়ে কথাই-মাতে সসৈন্যে সপাৰ্শ্বদে সম্ৰাট ছাদ্দাদে গৈ বেহেস্তৰ সিংহদ্বাৰত পদাৰ্পণ কৰিলে। বাদছাহৰ বাহন আছিল এটা ধুনীয়া ঘোঁৰা। তেওঁৰ হাতত আছিল হীৰা-খটোৱা চাবুক। তেওঁ গৈ সিংহদ্বাৰতে এটা অপূৰ্ব্ব সুন্দৰ থুলন্তৰ যুৱকক বাট আগচি থিয় হৈ থকা দেখি ভাবিলে,—এৱেঁই নিশ্চয় বেহেস্তৰ দাৰোৱান! সেই ভাবি তেওঁ সহীনকৈ সুধিলে—'তেনেহলে তোমাকেই হবলা মো'ৰ বেহেস্তৰ দাৰোৱান নিযুক্ত কৰি ৰখা হৈছে! বেছ বঢ়িয়া হৈছে। তোমাৰ নাম কি যুৱক?'

যুৱকে মেঘৰ গম্ভীৰ ধ্বনিত উত্তৰ দিলে—'নহয়! মই মালাকুল মওত। মই তোমাক নিবলৈ বৈ আছোঁ।'

সম্ৰাটে আচৰিত হৈ কলে—'তাৰ মানে?'

যুৱকে কলে—'মই ফিৰিস্তা আজ্ৰাইল।' তোমাৰ প্ৰাণ কাঢ়ি নিবলৈ খোদাই মোক পঠিয়াইছে।'

কথা শুনি সম্ৰাট খঙে-ৰাগে জৰ্জ্জৰিত হ'ল। দাঁত কামুৰি, চকু পকাই তেওঁ কৈ উঠিল—'মহামান্য সম্ৰাট ছাদ্দাদৰ লগতো" ধেমালি কৰিবলৈ আহিছ, কটা!' এই বুলি পোনেই তৰোৱাল খুলি লৈ তেওঁ যুৱকক কাটি-বলৈ আগ বাঢ়িল! কিন্তু কি আচৰিত কথা, তেওঁৰ তোলা হাত তোলাই থাকিল, লৰচৰ কৰিব নোৱাৰিলে। খং আৰু অপমানত একোনাই হৈ তেওঁ কৈ উঠিল—'সৈন্যসকল, কি চাই আছা? এই চয়তানক ধৰি মাটিৰ তলত পুতি থোৱাহঁক।'

যুৱকে কাঠ-হাঁহি এটা মাৰি কলে—'পুতিৰ বাক! পিছে, তোমাৰ সৈন্য-সামন্ত ক'ত? তুমি পগলা হলা নেকি? এই শক্তি লৈয়ে তুমি গৰ্ব্ব কৰা, নহয়?'

সম্ৰাটে তৎক্ষণাৎ পিছলৈ ঘূৰি চালে। তেওঁ দেখে, তেওঁৰ লগত যোৱা সৈন্য-সামন্ত, উজীৰ-নাজিৰ, লগুৱা-লগৰীয়া আদি কাৰো একো চিন-মোকাম নাই। হতাশ আৰু হতভম্ব হৈ তেওঁ কলে—'তুমি নিশ্চয় কিবা মায়া জানা, যুৱক। তুমি জানো সঁচাকৈয়ে আজৰাইল?'

আজৰাইলে কলে—'এৰা, ময়ে আজৰাইল। পিছে, তোমাৰ লগত কথা পাতি থাকিবলৈ মোৰ অৱসৰ নাই। মই শীঘ্ৰে তোমাৰ প্ৰাণ লৈ যাবলৈ আদেশ পাইছোঁ। পলম কৰিব নোৱাৰোঁ।'

ছাদ্দাদে চাৰিওফালে অন্ধকাৰ দেখিলে। সপোন নে সচিত একো কব নোৱাৰিলে। নিঃসহায় শিশুৰ দৰে তেওঁ কান্দি কান্দি কৈ উঠিল—'ভাই আজৰাইল, মোক অলপ সময় দিয়া ভাই! কিমান হাবিয়াহ কৰি মই এই বেহেস্তখন তৈয়াৰ কৰাইছিলোঁ—উপভোগ কৰিম বুলি। খন্তেকৰ কাৰণে হলেও মোক তাৰ সিংহাসনত এবাৰ বহিবলৈ দিয়া ভাই!' এই বুলি তেওঁ ঘোঁৰাৰপৰা নামিবলৈ চেষ্টা কৰিলে।

তাকে শুনি বজ্ৰৰ নিনাদে আজৰাইলে কৈ উঠিল—'খবৰদাৰ পাষণ্ড, টানত পৰি এতিয়া সেও হৈছ। খবৰদাৰ, এখোজো আগ নাবাঢ়িবি। তই কোনো স্বৰ্গৰে যোগ্য নহৱ।' এই বুলি সেই অৱস্থাতে সেই মুহূৰ্ত্ততে তেওঁ সম্ৰাট ছাদ্দাদৰ প্ৰাণ বাহিৰ কৰি ললে।

সম্ৰাট ছাদ্দাদৰ মৃত্যুৰ লগে লগে মেদিনী কঁপিবলৈ ধৰিলে। ভয়ঙ্কৰ ভূমিকম্প আহিল। মাটি ফাটি চৰাচৰ হ'ল। ঘৰ-দুৱাৰবোৰ হুৰহুৰকৈ ভাঙি পৰিবলৈ ধৰিলে। চাওঁতে চাওঁতেই [illegible] অমৰপুৰ, সম্ৰাট ছাদ্দাদৰ বিস্ময়কৰ বেহেস্ত ধুলিৰ লগত মিলি গ'ল।

হজৰত ইব্ৰাহিম আৰু সম্ৰাট নমৰুদ

হজৰত ইব্ৰাহিম আছিল আল্লাৰ প্ৰেৰিত এগৰাকী পয়গম্বৰ বা ৰছুল। ইচলাম ধৰ্মৰ অনেক আখ্যানৰ লগত এইজনা পয়গম্বৰৰ জীৱন-কাহিনী জড়িত আছে। হজৰত মহম্মদৰো প্ৰায় দুহাজাৰ বছৰ পূৰ্বে ইৰাক ৰাজ্যৰ বেবিলন নগৰৰ ওচৰত হজৰত ইব্ৰাহিমৰ জন্ম হৈছিল। এওঁক আবুল আম্বিয়া অৰ্থাৎ নবীসকলৰ পিতৃপুৰুষ বোলা হয়। ইহুদী, খ্ৰীষ্টিয়ান আৰু মুছলমান সকলোৱে তেওঁক শ্ৰদ্ধা কৰে। তেওঁৰ জন্ম-বৃত্তান্তও অতিশয় ৰহস্যপূৰ্ণ।

সম্ৰাট নমৰুদৰ ৰাজত্বত এদিনাখন কোনো এজন অজ্ঞাত গণকে আহি সম্ৰাটৰ ঘৰবাৰত ভৱিষ্যদ্বাণী কৰিলে—'আকাশত এটা নতুন নক্ষত্ৰ উদয় হৈছে। গণনা কৰি তাৰপৰা বুজা যায় সম্ৰাটৰ ঘোৰ অমঙ্গলৰ কাল আসন্ন। অবিলম্বে এই ৰাজ্যৰ কোনো এটি চুকত এটি শিশু উপজিব। সেই শিশুৱে কালত ধৰ্ম-জগতত ঘোৰ বিপ্লৱ আনিব। তেৱেঁই সম্ৰাটৰো ঘোৰ অমঙ্গলৰ হেতু হৈ পৰিব। এই শিশুৰ হাত সাৰিব নোৱাৰিলে সম্ৰাটৰ সাৰণ নাই।'

কথা শুনি সম্ৰাট নমৰুদৰ বুকু কঁপি উঠিল। দাঁত কামুৰি গৰ্জি উঠি গহীন গম্ভীৰ ধ্বনিৰে তেওঁ আদেশ কৰিলে—'আজিৰপৰা এই দেশত যিমান সন্তান জন্মে, সেই সকলোবোৰকে ধৰি মাৰি পেলাব লাগে। কাৰো একো ওজৰ-আপত্তি শুনা নাযায়।'—যেনে আজ্ঞা তেনে কাম।

সম্ৰাটৰ আদেশত গুপ্তচৰবোৰে দেশৰ নৱজাত শিশুবোৰ বিচাৰি বিচাৰি হত্যা কৰিবলৈ লাগি গ'ল। ইতিমধ্যে সম্ৰাটৰে ৰাজ-কৰ্মচাৰী এজনৰ ঘৰত এদিন এটি শিশু উপজিল। পুত্ৰ ভূমিষ্ঠ হোৱাৰ পূৰ্বে সন্তানৰ মাতৃয়ে সপোনত খোদাতালাৰ আদেশ পালে যে জন্ম গ্ৰহণ কৰাৰ পাছতে শিশুটিক নি ওচৰৰে পৰ্বতৰ গুহা এটাত ৰাখি তাৰ প্ৰাণ বচাব লাগে।

ৰাজকৰ্মচাৰী জনৰ নাম আছিল আজৰ। আজৰে তেওঁৰ প্ৰিয়তমা পত্নীৰপৰা সপোনৰ কথা শুনিলে। দুয়ো গোপনে পৰামৰ্শ কৰি কৰ্তব্যটি

মতে কাম কৰিলে। পৰ্ব্বতৰ কন্দৰত সদ্যজাত শিশুটি আলফুলকৈ থৈ সৰু ছিদ্ৰ এটা মাত্ৰ ৰাখি গধুৰ শিল এটাৰে গুহাৰ মুখখন সযতনে ঢাকি এৰি অহা হ'ল। কোৱা বাহুল্য যে শিশুৰ মাক-বাপেকে গোপনে গৈ সদায় গুহাত শিশুটিক লালন-পালন কৰিবলৈ ধৰিলে। সম্ৰাট নমৰুদ নাইবা তেওঁৰ কৰ্মচাৰীসকলৰ কোনেও তাৰ গুংসূত্ৰকে নাপালে।

এইদৰে সুদীৰ্ঘ সাত বছৰ কাল পাৰ হ'ল। কেঁচুৱা লাহে লাহে ডাঙৰ হৈ অকলে ওলাই সোমাই ফুৰিব পৰা হ'ল। সি তেতিয়া এদিন নিজে আহি মাক-বাপেকৰ লগ ললেহি। মাক-বাপেকে শিশুটিৰ নাম থলে ইব্ৰাহিম।

পিতাক আজৰে ইব্ৰাহিমক নি কিছুকালৰ কাৰণে শিক্ষা লাভৰ উদ্দেশ্যে হজৰত নূহৰ ঘৰত থৈ আহিল। তাতে হজৰত নূহ আৰু তেওঁৰ পুত্ৰ ছামৰ তত্ত্বাৱধানত তেওঁ আৱশ্যকীয় সকলো শিক্ষা লাভ কৰিলে।

শিক্ষা সাং কৰি ইব্ৰাহিম ঘৰলৈ উভতিল সঁচা, কিন্তু তেওঁৰ মন আল্লাৰ চিন্তাত নিমগ্ন হ'ল। সন্ধিয়া কেতিয়াবা অকলে অকলে নক্ষত্ৰ-খোদিত আকাশলৈ চাই তেওঁ ভাবে—আল্লানো কেনে, ক'ত তেওঁ থাকে? সৌ উজ্জ্বল নক্ষত্ৰটোৱে আল্লা নেকি? তাৰ পাছত তেওঁ দেখিবলৈ পায়—সেই নক্ষত্ৰ আকাশত আৰু নাই; অন্তৰ্দ্ধান হৈছে। চন্দ্ৰটো দেখি তেওঁ ভাবে তেন্তে এই পূৰ্ণিমাৰ চন্দ্ৰটোৱেই আল্লা নেকি? নক্ষত্ৰৰ দৰে জোনটোও ক্ৰমে আকাশত মাৰ যায়। ৰাতি পুৱালত সহস্ৰ কিৰণ লৈ সূৰ্য্যোদয় হয়—তাতো তেওঁ ভাবে, তেন্তে সূৰ্য্যয়ে আল্লা নেকি। সন্ধিয়াৰ লগে লগে সূৰ্য্যও মাৰ যায়। তেতিয়া তেওঁ অধীৰ হৈ কয়, 'হে প্ৰভু, তোমাক চিনিবলৈ মোক শক্তি দিয়া।' তেতিয়া ইব্ৰাহিমৰ অন্তৰ আপোনা-আপুনিয়ে প্ৰবুদ্ধ হৈ উঠে আৰু বিশপতি আল্লাৰ নিদৰ্শন তেওঁ অন্তৰত উপলব্ধি কৰে। তেওঁ অন্তৰত অনুভৱ কৰে যে আল্লা ভুৱন-মণ্ডলৰ স্ৰষ্টা আৰু বিশ্বব্ৰহ্মাণ্ডৰ প্ৰতিপালক। তেওঁত বাহিৰে কোনো উপাস্য হব নোৱাৰে; কোনো তেওঁৰ চৰিক বা অংশীদাৰ হব নোৱাৰে। আল্লা এক আৰু অদ্বিতীয়। তাৰ পাছত তেওঁ এই কথা তেওঁৰ সম্প্ৰদায়ৰ লোকসকলৰ আগত ব্যক্ত কৰে। এই লোকসকলৰ দুই-চাৰিজনৰ বাহিৰে বাকী কোনেও গোনতে তেওঁৰ কথা পতিয়াব নুখুজিছিল, কাৰণ সেই সময়ত ইৰাক

ৰাজ্যৰ ৰজা প্ৰজা সকলো লোকে মূৰ্ত্তি-পূজা কৰিছিল আৰু নানা দেৱ-দেৱী মানি চলিছিল।

হজৰত ইব্ৰাহিমৰ পিতাক আজৰে অকল মূৰ্ত্তিহে তৈয়াৰ কৰিছিল এনে নহয়, মাটিৰ দেৱ-দেৱী সাজি দাম লৈ বিক্ৰীও কৰিছিল। তেওঁ বাদছাহ নমৰুদৰ বৰ প্ৰিয় কৰ্মচাৰী আছিল। বাদছাহে নিজেও মূৰ্ত্তিপূজা কৰিছিল।

সম্ৰাট নমৰুদ বৰ অহঙ্কাৰী আছিল। বলৰ দৰ্প তেওঁৰ ইমানেই বাঢ়ি গৈছিল যে অৱশেষত তেওঁ নিজকো সৰ্ব্বশক্তিমান আল্লাৰ সমকক্ষ বুলি ভাবিছিল আৰু প্ৰজাসকলে পূজা-সেৱা কৰক বুলি নিজৰ অলেখ মূৰ্ত্তি সজাই সম্ৰাট ছাদ্দাদৰ দৰে বিলাই দিছিল।

হজৰত ইব্ৰাহিমে এদিন পিতাকক কলে, 'আব্বাজান, এই মূৰ্ত্তিবোৰে কাণেৰে শুনে, চকুৰেও নেদেখে। এইবোৰৰ নিজৰ একো শক্তিও নাই। এইবোৰক আপুনি পূজা কৰে কিয়? এই পুতলা পৰিহাৰ কৰি আপুনি বিশ্ব স্ৰষ্টা খোদাতালাৰ পূজা-সেৱা কৰক। খোদাতালা সৰ্ব্বশক্তিমান, সৰ্ব্বজ্ঞ আৰু অদ্বিতীয়। তেওঁক পূজা নকৰি আনক পূজা কৰিলে ভুল পথ অনুসৰণ কৰা হব।'

চেঙেলীয়া পুতেকৰ মুখত এনে গুৰুতৰ কথা শুনি পিতাক আজৰৰ বিষম খং উঠিল। তেওঁ কলে—'ইব্ৰাহিম, এনে কথা আৰু যেন তোমাৰ মুখত শুনো। শুনিব লাগিলে তাৰ পৰিণাম বেয়া হব।' কিন্তু ইব্ৰাহিম নিজৰ ব্ৰতত অচল-অটল থাকিল।

এদিনৰ কথা। ওচৰ-চুবুৰীয়া কিছুমান লোকৰ লগত ইব্ৰাহিমৰ তৰ্ক-বিতৰ্ক হৈছিল। তৰ্কত যুক্তিৰে তেওঁক কোনেও পৰাস্ত কৰিব নোৱাৰিছিল। সেইদিনা তেওঁ সুধিলে—'তোমালোকে এইবোৰ কিহৰ পূজা কৰা?' ওচৰ-চুবুৰীয়াসকলে কলে—'আমি প্ৰতিমা পূজা কৰোঁ। পূজাৰ সময়ত প্ৰতিমাকে আমি দেৱতা বুলি ভাবোঁ। প্ৰতিমাই আমাৰ ঈশ্বৰ।'

—তোমালোকে যেতিয়া এইবোৰক প্ৰভু জ্ঞান কৰি নিজ নিজ বন্দনা নিবেদন কৰা, তেতিয়া সেইবোৰে জানো তোমালোকৰ স্তুতি-প্ৰস্তুতি, আবেদন-নিবেদন শুনে? অথবা সেইবোৰে তোমালোকৰ কিবা উপকাৰ বা অপকাৰ কৰিব পাৰে জানো?

—পাবক বা মোৱাবক আমি পিতৃ-পিতামহসকলৰ ধৰ্মকে আচৰণ কৰি এইদৰে পূজা-সেৱা কৰোঁহক। ইয়ে আমাৰ ধৰ্ম।

—তোমালোকে সুবুদ্ধি-নাভাবি ভুল পথ অনুসৰণ কৰিছাহঁক। প্ৰকৃত সত্যপথ বিচাৰি পোৱা নাই।

ইয়াৰ পাছত হজৰত ইব্ৰাহিম আৰু ওচৰ-চুবুৰীয়াসকলৰ ভিতৰত তুমুল তৰ্কবাদ হয় আৰু তাৰ ফলত ওচৰ-চুবুৰীয়াসকলে তেওঁক নানাপ্ৰকাৰে ভীতি প্ৰদৰ্শন কৰে। তেওঁ কিন্তু সেইবোৰলৈ ভ্ৰূক্ষেপ নকৰি ইহঁতক মাথো কৈছিল—'তোমালোকে যদি নিজৰ মঙ্গল কামনা কৰা তেন্তে মোৰ উপদেশ লোৱা আৰু নিৰ্জীৱ প্ৰতিমাৰ পূজা-সেৱা এৰি দি এক আল্লাৰ উপাসনা কৰা।' এনে কৰাত ক্ৰমে ক্ৰমে ইব্ৰাহিমক সকলো লোকে বলিয়া বুলি ধৰি লৈ তেওঁৰ কথালৈ কাণসাৰ নকৰা হ'ল।

সকলোৱে মিলিজুলি উমৈহতীয়াভাৱে পূজা-সেৱা কৰিবৰ কাৰণে ৰাজ্যৰ বিভিন্ন ঠাইত দেৱমন্দিৰ আছিল। সেইবোৰত দেৱ-দেৱীৰ মূৰ্ত্তি আছিল। এদিন তেনে এটা মন্দিৰত ইব্ৰাহিমে কোনো কাকো নথকা সময়ত প্ৰৱেশ কৰি মূৰ্ত্তিবোৰক সুধিলে—'তোমালোকে আহাৰ-পানী নোখোৱা কিয়? তোমালোকে দেখোন মুখেৰে এষাৰো উত্তৰ নিদিয়া? কি হৈছে?

মূৰ্ত্তিবোৰক নিৰুত্তৰ পাই তেওঁ বাহিৰলৈ ওলাই আহিল আৰু হাতত কুঠাৰ এখন লৈ পুনঃ প্ৰৱেশ কৰি মূৰ্ত্তিবোৰ কুঠাৰেৰে ঘপিয়াই ভাঙি-ছিঙি থানবান কৰিলে। তাৰ পাছত তেওঁ ডাঙৰ মূৰ্ত্তিটোৰ হাতত কুঠাৰ-খন লগাই থৈ ওলাই আহিল।

কিছুপৰৰ পিছত মানুহবোৰে মন্দিৰৰ মূৰ্ত্তিবোৰ তেনেকৈ ভগা-ছিগা অৱস্থাত ছেদেলি ভেদেলি হৈ পৰি থকা দেখি তাৰ বাবে ইব্ৰাহিমকে জগৰীয়া বুলি সন্দেহ কৰিলে। তেওঁলোকে গৈ ইব্ৰাহিমক সুধিলে—'মন্দিৰৰ মূৰ্ত্তি-বোৰ কোনে ভাঙিলে—ইব্ৰাহিম? তুমি জনা নাই জানো?'

ইব্ৰাহিমে কলে—'যাৰ হাতত কুঠাৰ আছে তাকেহে সন্দেহ কৰিব লাগে। তাকেই নোসোধাহঁক কিয়? সিয়ে কব নহয়।'

মানুহবোৰে কলে—'তুমি পাগলা হৈছা নেকি? মূৰ্ত্তিয়ে জানো কথা কব পাৰে?'

ইব্ৰাহিমে কলে—'তেনেহলে যি কেতিয়াও কথা কব নোৱাৰে, খাব-লব নোৱাৰে, লৰি-চৰি ফুৰিব নোৱাৰে, তাক পূজা কৰিলে কি হব ? যি নিজকে ৰক্ষা কৰিব নোৱাৰে সি আনক ৰক্ষা কৰিব কেনেকৈ ? তেনেহলে এতিয়াও তোমালোকে সেই প্ৰতিমাক পৰিহাৰ কৰি যি সৃষ্টিৰ খোদ মালিক, যি সৰ্ব্বজ্ঞ আৰু সৰ্ব্বশক্তিমান সেই অদ্বিতীয় ভগৱান আল্লাক পূজা কৰা।'

ইয়াতে মানুহবোৰ অধৈৰ্য্য হৈ পৰিল আৰু ইব্ৰাহিমক ৰছি-বান্ধি নি বিচাৰৰ বাবে বাদছাহ নমৰুদৰ আগত শোধ'ই দিলেগৈ। বাদছাহে প্ৰশ্ন কৰাত ইব্ৰাহিমে নিৰ্ভীকভাৱে উত্তৰ দিলে—'মোৰ খোদা অনাদি, অনন্ত, সৰ্ব্বজ্ঞ আৰু সৰ্ব্বশক্তিমান। তেৰেই জীৱক জীৱদান দিয়ে আৰু অন্তকালত মাৰি লৈ যায়।'

সম্ৰাট নমৰুদে কলে—'ময়ো তো ইচ্ছামতে প্ৰাণীক হত্যা বা ৰক্ষা কৰিব পাৰোঁ। মই তেন্তে তোমাৰ খোদাতকৈ কোন গুণে কম ? ময়ো তেন্তে খোদায়ে।'

ইব্ৰাহিমে কলে—আমাৰ খোদাৰ আদেশত সদায় পূবত সূৰ্য্য উদয় হয়, পশ্চিমত সূৰ্য্যাস্ত যায়। আপোনাৰ যদি শক্তি আছে তেন্তে আপুনি বাৰু পশ্চিমত এবাৰ সূৰ্য্যোদয় কৰি দেখুৱাওকচোন।'

সম্ৰাট খন্তেকৰ কাৰণে নিৰুত্তৰ হ'ল। তেতিয়া ইব্ৰাহিমে পুনঃ কলে—'আপুনিও মোৰদৰে মানুহ। আল্লাৰ শক্তিৰ লগত আপোনাৰ শক্তিৰ তুলনা নহয়। যি আল্লাই আপোনাক, মোক আৰু বিশ্বৰ সকলোকে সৃজন কৰিছে, পালন কৰিছে আৰু সংহাৰ কৰিব তেওঁত আপুনি অটল বিশ্বাস ৰাখক। তেওঁক পূজা কৰক। তেওঁ আপোনাক মুক্তি দিব। তেৱেঁ ৰক্ষা কৰিব। তেওঁ অপাৰ কৰুণাময়।'

সম্ৰাট নমৰুদ খঙত টিঙিৰি-তুলা হ'ল আৰু কলে, 'এই পাষণ্ডক শীঘ্ৰে নি জ্বলি থকা অগ্নি-কুণ্ডত পেলাই দি হত্যা কৰাহক।' মানুহবোৰেও কৈ উঠিল, 'ঠিক কথা, ইয়াক জুইত পুৰি বধ কৰা উচিত হব।'

সম্ৰাটৰ আদেশত এটি প্ৰকাণ্ড অগ্নি-কুণ্ড তৈয়াৰ হ'ল। দপ্‌দপকৈ জুই জ্বলি উঠিল। অগ্নিৰ লেলিহান জিভাই গগন স্পৰ্শ কৰিলে। হাতে-ভৰিয়ে জপাটিয়াই বান্ধি ইব্ৰাহিমক সেই অগ্নি-কুণ্ডত দূৰৰপৰা নিক্ষেপ কৰা হ'ল কিন্তু কি আশ্চৰ্য্য! জ্বলা জুইৰ মাজত পৰিও ইব্ৰাহিমে মুখেৰে মাত এধা-

ৰকে নামাভিলে। অগ্নিয়ে তেওঁৰ পবিত্ৰ শৰীৰ স্পৰ্শ নকৰিলে। অগ্নিও বিশ্ব-কৰ্ত্তা আল্লাহতালাৰ আদেশত শীতল হ'ল। ইব্ৰাহিম সেই অগ্নিৰ মাজত আয়েৰে বহি পৰিল। জুইৰ বঙা শিখাবোৰ চাই থাকোঁতেই ক্ৰমে অলেখ সুন্দৰ ফুলত পৰিণত হ'ল। কাণ্ড দেখি সকলোৱে বিস্ময় মানিলে। সম্ৰাটে চিঞৰি কলে—'এই হতভগাই নিশ্চয় কিবা যাদু জানে। ইয়াক শিল দলিয়াই বধ কৰাইক।'

সম্ৰাটৰ আদেশত উপস্থিত জনতাই চাৰিওফালৰপৰা ইব্ৰাহিমৰ গালৈ বিহকে তিহকে দলিয়াবলৈ ধৰিলে। কিন্তু কি আচৰিত কথা—এইবাৰো ইব্ৰাহিমৰ গালৈ নিক্ষেপ কৰা সকলোবোৰ বস্তুৱে গৈ তেওঁক আঘাত কৰা দূৰৰ কথা তেওঁৰ মূৰৰ ওপৰত এখন বিচিত্ৰ ৰাজ-ছত্ৰহে তৈয়াৰ কৰি ধৰিলে। ইব্ৰাহিম সেই ছত্ৰৰ ছাঁত বহি থাকিল।

ইব্ৰাহিমে তেতিয়া পুষ্প-পৰিবৃত সেই মনোহৰ আসনৰপৰা উঠি উচ্চ কণ্ঠে কবলৈ ধৰিলে—'দেখিলে মহাৰাজ, খোদাই যাক ৰক্ষা কৰে তাক মাৰে কোনে? সেই কাৰণেই কৈছোঁ—আপুনি এতিয়াও দৰ্প অহঙ্কাৰ সকলো ত্যাগ কৰি দয়াময় আল্লাৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰক। তেওঁ আপোনাক ক্ষমা কৰিব। আপোনাৰ যি বিশাল সাম্ৰাজ্য তাকো তেওঁৰ কৃপাতহে আপুনি লাভ কৰিছে। ইচ্ছা কৰিলে তাকো তেওঁ খন্তেকতে ছাৰখাৰ কৰিব পাৰে।'

কথা শুনি নমৰুদ খঙত অগ্নিশৰ্ম্মা হ'ল। তেওঁ সিংহাসনৰপৰা নামি আহি কোষ-মুক্ত অসি তুলি ইব্ৰাহিমলৈ চাই কলে—'শুন ইব্ৰাহিম, তোৰ আল্লাৰ লগত মই এইবাৰ দেখাদেখিকৈ ৰণ কৰিম। সন্মুখ সমৰত এইবাৰ ঠিক হৈ যাব—কাৰ শক্তি কিমান।' এইবুলি কৈ তেওঁ নিজৰ সৈন্য-সামন্তক সন্মুখ সমৰৰ কাৰণে সাজু হবলৈ নিৰ্দ্দেশ দিলে। লগতে হজৰত ইব্ৰাহিমকো কলে—'ইব্ৰাহিম, তোৰ আল্লাক সাজু হবলৈ দিহি আৰু সাজু হলে—মোলৈ খবৰ পঠাবি।'

ইব্ৰাহিমে নিভৃতে খোদাতালাক প্ৰাৰ্থনা কৰি সকলো কথা নিবেদন কৰিলে। তেতিয়া গহীন গম্ভীৰ সুৰত অন্তৰীক্ষৰপৰা দৈববাণী হ'ল—'তুমি কি ইচ্ছা কৰা ইব্ৰাহিম?' ইব্ৰাহিমে কলে—'প্ৰভু, তুমি সকলো জানা। তথাপি যদি তুমি এই নিঃকিনৰ অভিলাষ শুনিব খোজা, তেন্তে তুমি তোমাৰ সৃষ্টিৰ নিচু তুচ্ছ কোনো প্ৰাণীৰ হাতত এই ধৰ্মদ্ৰোহী পাপীৰ প্ৰবল পৰাক্ৰমী সৈন্য

বাহিনীক পৰাস্ত কৰা। তাকে কৰিলে, হে আল্লা, জগতে তোমাৰ অতৰ্ক মহিমাৰ ৰহস্য কিছু বুজিব পাৰিব।' পুনঃ অন্তৰীক্ষত ধ্বনিত হ'ল—'ইব্ৰাহিম, তোমাৰ মনোবাঞ্ছা পূৰ্ণ হব। তুমি নিশ্চিন্ত থাকা।'

হজৰত ইব্ৰাহিম এইবাৰ পুনঃ সম্ৰাট নমৰুদৰ দৰবাৰলৈ গ'ল। সম্ৰাটে দূৰৰপৰাই ইব্ৰাহিমক দেখি সুধিলে—'ইব্ৰাহিম, মোৰ সৈন্য-সামন্ত সৌ পৰ্ব্বতৰ দাঁতিৰ বিশাল প্ৰান্তৰত যুদ্ধৰ কাৰণে চাউনি কৰি আছে। তোমাৰ আল্লা সাজু হ'ল নে?' ইব্ৰাহিমে কলে—'সম্ৰাট, সৰ্ব্বশক্তিমান আল্লা সদায় সকলো সময়তে সাজু। তেওঁ সাজু হব নালাগে। ৰণ ভেৰী বজাই আহ্বান জনালেই আল্লাৰ সৈন্যই দেখা দিবহি।'

নমৰুদৰ আদেশত তেওঁৰ সৈন্যসকলে যেতিয়া ৰণ-বাদ্য বজাই বিপুল হৰ্ষধ্বনি কৰি সদলবলে আগবাঢ়ি যাবলৈ ধৰিলে, তেতিয়া ওচৰৰ পৰ্ব্বতৰ-পৰা অযুতে-নিযুতে অসংখ্য মহ-বৰল আদি পোক-পৰুৱা ভন্ ভন্ শব্দ কৰি বাহিৰ হ'ল। তাকে দেখি নমৰুদে হাঁহি হাঁহি কলে—'ইব্ৰাহিম, এয়ে নেকি তোমাৰ সৰ্ব্বশক্তিমান আল্লাৰ পৰাক্ৰমী সৈন্য বাহিনী?'

কথা শেষ হবলৈ নৌপাওঁতে মহ, ডাঁহ, বৰল, পৰুৱা আদি পোকবোৰে সম্ৰাট নমৰুদৰ সৈন্যসকলক এনেভাৱে আক্ৰমণ কৰিলে যে যন্ত্ৰণাত তৎমৎ নাপাই সিহঁতে হাতৰ গদাৰে ইটোৱে সিটোৰ মূৰত কোব দিবলৈ ধৰিলে। এইদৰে নিজৰ ভিতৰতে কোবোৱাকুবিকৈ, পূৰ্ব্বে যদুবংশ ধ্বংস হোৱাৰ দৰে—নমৰুদৰ সৈন্য-বাহিনী নিহত হ'বলৈ ধৰিলে।

গতি বিষম দেখি নমৰুদে পৃষ্ঠভঙ্গ দি ৰাজপ্ৰসাদলৈ উলটিবলৈ মনস্থ কৰিলে। তাকে দেখি এটা মখাৰে তেওঁৰ নাকৰ বিন্ধাইদি প্ৰৱেশ কৰি তালুত ভালকৈ কামোৰ মাৰি ধৰিলেগৈ। সম্ৰাটে লৰি গৈ ৰাজপ্ৰাসাদৰ কোণৰ পালেঙত দীঘল হৈ পৰি যন্ত্ৰণাত চৎফটাবলৈ ধৰিলে।

সম্ৰাটৰ এই অৱস্থা দেখি ৰাজধানীৰ বিখ্যাত বেজসকলে আহি নানা প্ৰকাৰ চিকিৎসা আৰম্ভ কৰিলে। কিন্তু, সকলো বিফল হ'ল, বৰং সোকাল, যন্ত্ৰণাবো উপশম নহ'ল। অৱশেষত অসহ্য পাই সম্ৰাটে বিশ্বাসী প্ৰহৰীক কাঠ এডোখৰেৰে তেওঁৰ মূৰত টুকুৰ-টুকুৰকৈ আঘাত কৰিবলৈ কলে। প্ৰহৰীয়েও ৰাজ-আজ্ঞা উলঙ্ঘন কৰিব নোৱাৰি সেইদৰে কাম কৰিলে। প্ৰহৰীয়ে সম্ৰাটৰ মূৰ-তালুৰ ওপৰত যেতিয়া কাঠেৰে কোবাইছিল, তেতিয়া

তেতিয়া ধৰলটো চুপ কৰি কামুৰিবলৈ এৰি নীৰবে থাকে। কোবাবলৈ এৰিলেই পুনঃ সি কামুৰিবলৈ ধৰে। এইদৰে দিনৰ পিছত দিন, ৰাতিৰ পিছত ৰাতিকৈ কেইবাদিনো কাটি গ'ল। সম্ৰাটৰ চকুত টোপনি নাই; পেটত আহাৰ নাই; যন্ত্ৰণাত প্ৰাণ যায় যায়।

চল্লিচ দিনৰ মূৰত এদিন ইব্ৰাহিম আহি সম্ৰাটক কলে, 'মহাৰাজ, আপুনি এতিয়া করুণাময় আল্লাৰ ওচৰত প্ৰাৰ্থনা কৰক। তেওঁ আপোনাক ৰক্ষা কৰিব। তেওঁ দয়াময়, ক্ষমাশীল।'

নমৰুদে উত্তৰ দিলে—'সেইটো কেতিয়াও হব নোৱাৰে ইব্ৰাহিম! দেখিছাই নহয়, তালুত ধৰলৰ কামোৰ, মূৰৰ ওপৰত প্ৰহৰীৰ কঠোৰ প্ৰহাৰ। ই নিজে বাছি লোৱা যন্ত্ৰণা, নিজে লোৱা প্ৰতিকাৰ। আজি চল্লিচ দিন এইদৰে কাটি গ'ল। চল্লিচ দিন কিয়, সমস্ত জীৱন যন্ত্ৰনাতে ভুগিম লাগিলে, তথাপি তোমাৰ খোদাৰ ওচৰত বশ্যতা স্বীকাৰ নকৰোঁ, প্ৰাৰ্থনা কৰা দূৰৰ কথা!'

ইব্ৰাহিমে কলে—'আপুনি প্ৰাৰ্থনা নকৰিব পাৰে; পিছে, কাণ পাতি শুনকচোন, আপোনাৰ ঘৰৰ সকলোৱে আপোনাৰ কাষানেই কেনেকৈ স্তুতি কৰিব লাগিছে। আল্লা সৰ্ব্বশক্তিমান আৰু দয়ালু। আপুনিও তেওঁক স্তুতি কৰক।'

এনেতে চাৰিও কালৰপৰা প্ৰাৰ্থনাৰ ধ্বনি আহিল—'খোদা এক আৰু অদ্বিতীয়, আৰু ইব্ৰাহিম তেওঁৰ ৰচুল।' নমৰুদৰ একোপধ্যে সহ্য নহ'ল খঙত চকু ৰঙা কৰি বজ্ৰ-গম্ভীৰ ধ্বনিত তেওঁ তুৰন্তে আদেশ দিলে—'কোন আছা, মোৰ এই প্ৰসাদত জুই লগাই দিয়া! জুই লগাই দিয়া!'

পৰিচৰ্য্যাকাৰী প্ৰহৰীয়ে পোনতে সম্ৰাটৰ আজ্ঞা মানিবলৈ অলপ ইতস্ততঃ কৰিছিল। কিন্তু সম্ৰাট নমৰুদে পুনঃ গৰ্জ্জি উঠি দুগুণ জোৰেৰে সেই একে আজ্ঞাকে শুনাই দিলত প্ৰহৰীসকলে গৈ ৰাজ-প্ৰাসাদত জুই লগাই দিলে। ৰাজধানীৰ ঘৰেবোৰত দপ্ দপ্‌কৈ জুই জ্বলি উঠিল। অগ্নিৰ লেলিহান জিভাই আকাশ স্পৰ্শ কৰিলে। নমৰুদে অলপ দূৰলৈ গৈ অনিমেষ-নেত্ৰে সেই অগ্নিকাণ্ডলৈ চাই থাকিল।

ইব্ৰাহিমে তেতিয়া কলে, 'সম্ৰাট, বেবিলন পুৰি ভস্মীভূত হ'ল গৈ, কিন্তু আপুনি জানেনে আপোনাৰ পৰিহিত নিজ পায়জামাটোৱে আৰু আৰু কি

আপোনাৰ হাত, ভৰি আদি অঙ্গপ্ৰত্যঙ্গবোৰেও যে খোদাক মানে?' নমৰুদে তেতিয়া শুনিবলৈ পালে—সঁচাকৈয়ে তেওঁ, পিন্ধা বস্ত্ৰবণবাই যেন শব্দ এটি উঠিছে—'খোদা এক আৰু ইব্ৰাহিম তেওঁৰ বন্ধু।'

সম্ৰাট নমৰুদে এনে পৰিস্থিতিত কাণ্ডজ্ঞান হেৰুৱাই তন্মুহূৰ্ত্ততে নিজৰ পায়জামাটো খুলি জলা জুইত পেলাই দিলে। অকল সেয়ে নহয়, তাতোকৈ আচৰিত কথা, তৰোৱাল খুলি লৈ নিজৰ ভৰি দুখনো একে ঘাপে কাটি পেলালে। কিন্তু আৰু আচৰিত কথা,—কটা ভৰি দুখনৰপৰাও তেওঁ যেন সেই একে প্ৰাৰ্থনা-ধ্বনিকে শুনিবলৈ পালে—'আল্লা এক, আৰু ইব্ৰাহিম তেওঁৰ বন্ধু।'

ইব্ৰাহিমে কলে, 'মহামান্য সম্ৰাট, আপোনাৰ অন্ত-কাল উপস্থিত। এতিয়াও আপুনি দয়ালু আল্লাৰ নাম স্মৰণ কৰক; তেওঁক এবাৰ মাত্ৰ প্ৰাৰ্থনা কৰক; মৰণ-কালত তেওঁ আপোনাক শান্তি দিব।'

নমৰুদ কিন্তু জিদ এৰা বিধৰ লোক নহয়। তেওঁ বিকৃত-কণ্ঠে কৈ উঠিল—'সেইটো নহব, ইব্ৰাহিম'! এইবুলি কোৱাৰ লগে লগেই নমৰুদৰ প্ৰাণবায়ু উৰি গ'ল। দম্ভ-অহঙ্কাৰ সকলোবোৰ বতাহৰ লগত মিলি গ'ল।

হজৰত ইব্ৰাহিম আৰু মক্কা নগৰৰ উৎপত্তি

মুছলমানৰ পৰম পৱিত্ৰ স্থান মক্কা নগৰৰ উৎপত্তিৰ লগত হজৰত ইব্ৰাহিমৰ জীৱন-কাহিনী জড়িত আছে। সম্ৰাট নমৰুদৰ অস্বাভাৱিক মৃত্যুৰ পাছত হজৰত ইব্ৰাহিমে ধৰ্ম্মপ্ৰচাৰকে জীৱনৰ ব্ৰতৰূপে গ্ৰহণ কৰিলে। তেওঁৰ জীৱনৰ মুখ্য উদ্দেশ্যই হৈ পৰিল মানুহৰ অন্তৰত এক আৰু অদ্বিতীয় আল্লাত বিশ্বাস স্থাপন কৰা। বিশুদ্ধ একেশ্বৰবাদ (তৌহিদ) পোনতে তেৱেঁই স্পষ্ট কথাত প্ৰচাৰ কৰিবলৈ লয়। ইচলাম এই তৌহিদৰ ওপৰতে প্ৰতিষ্ঠিত। ক্ৰমে ক্ৰমে ইব্ৰাহিম লোকসমাজত আল্লাৰ প্ৰেৰিত ৰছুল বা নবী বুলি পৰিগণিত হবলৈ ধৰিলে।

একেশ্বৰবাদৰ পৱিত্ৰ বাণী প্ৰচাৰ কৰি ফুৰোঁতে তেওঁ আহি এবাৰ এখন ধুনীয়া দেশ পালে। দেশখনৰ নাম আছিল হাৰাণ। ইব্ৰাহিম তাত বহুত দিন থাকিল। তাতেই ছাৰা বিবি নামৰ এগৰাকী গুণৱতী গাভৰুৰ লগত তেওঁৰ বিয়া হয়। কিছুকাল তাতে থকাৰ পাছত সেই দেশত ঘোৰ দুৰ্ভিক্ষ উপস্থিত হ'ল। হজৰত ইব্ৰাহিমে তেতিয়া প্ৰিয়তমা পত্নী ছাৰা বিবিক লগত লৈ মিছৰ দেশলৈ গতি কৰিলে।

পত্নীসহ ইব্ৰাহিম গৈ মিছৰৰ ফেৰাউনৰ দৰবাৰত উপস্থিত হ'ল। বিবি ছাৰাৰ গুণ যেনে, ৰূপো আছিল তেনে। কথিত আছে যে অপূৰ্ব্ব সুন্দৰী বিবি ছাৰাৰ ৰূপ-যৌৱন দেখি মিছৰৰ ফেৰাউন তেনেই মোহ গ'ল। তেওঁ ইব্ৰাহিমক আশ্ৰয় দিলে আৰু বিবি ছাৰাক কেনেকৈ হস্তগত কৰিব পাৰে তাৰ বাবে ফাং পাতিবলৈ ধৰিলে। তাতে খোদাৰ আদেশত তেওঁৰ চকুৰ দৃষ্টিশক্তি লোপ পালে। কামাতুৰ ফেৰাউনে তথাপি এদিন হিতাহিত জ্ঞান হেৰুৱাই দুই বাহু মেলি বলিয়াৰ দৰে ছাৰা বিবিক সাৱোটমাৰি ধৰিবলৈ খেদি গ'ল। আল্লাৰ ইচ্ছাত তেওঁৰ কিন্তু মেলা হাত মেলাই থাকিল। সম্প্ৰসাৰিত দুই বাহু অসাৰ আৰু শিথিল হৈ পৰিল। তেওঁ নিৰুপায় আৰু

নিৰত হৈ নিজৰ দোষ স্বীকাৰ কৰি অতিশয় কাতৰভাৱে হজৰত ইব্ৰাহিমৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিলে। তেতিয়া আল্লাহতালাৰ অসীম অনুগ্ৰহত ফেৰাউনে পুনঃ হেৰুৱা দৃষ্টিশক্তি ঘূৰাই পালে। সেই দিন ধৰি তেওঁ ইব্ৰাহিমক নিজৰ পৰম হিতৈষী বন্ধু আৰু উপদেষ্টাৰূপে গ্ৰহণ কৰিলে।

ফেৰাউনৰ ঘৰবাৰত বহুত দিন থকাৰ পাছত এদিন ইব্ৰাহিম তাৰপৰা যাবলৈ ওলাল। ফেৰাউনে বন্ধু ইব্ৰাহিমক পথৰ সম্বল যথোচিত দিয়াৰ উপৰিও কৃতজ্ঞতাৰ চিন-স্বৰূপে হাজেৰা নামৰ নিজ কন্যাকো তেওঁৰ হাতত সমৰ্পণ কৰিলে। বিবি হাজেৰাই হজৰত ইব্ৰাহিম আৰু ছাৰা বিবিৰ আল-পৈচান ধৰিবলৈ গাত ললে। তিনিও আনন্দমনেৰে যাত্ৰা আৰম্ভ কৰিলে।

বিবি হাজেৰাও ৰূপত যেনে জাকত জিলিকা, গুণতো আছিল তেনে সৰবৰহী। ইব্ৰাহিম, ছাৰা আৰু হাজেৰা—তিনিও গৈ পেলেষ্টাইন দেশত উপস্থিত হ'ল। পেলেষ্টাইনত তেওঁলোক অনেক দিন থাকিল।

হজৰত ইব্ৰাহিম আৰু ছাৰা বিবিৰ সোণৰ সংসাৰখন জুৰাই তুলিবলৈ তেতিয়ালৈ সা-সন্ততি একো নাছিল। দিন গৈ অহাৰ লগে লগে তাকে লৈ বিবি ছাৰাৰ মনত বিষাদৰ ছাঁ পৰি আহিবলৈ ধৰিলে। তেওঁৰ নাৰী অন্তৰ সন্তানৰ কামনাত ব্যাকুল হৈ পৰিল। মনত এনে প্ৰতীতি হ'ল সন্তানবিহীন সংসাৰ ঠিক জলশূন্য সৰোবৰ অথবা ফুলহীন ফুলনিৰ দৰে। ইয়াৰ সৌন্দৰ্য্য নাই। ই অসাৰ। স্বামী হজৰত ইব্ৰাহিমৰো পুত্ৰহীন অন্তৰৰ অপ্ৰকাশ্য বেদনা তেওঁ যেন মৰ্মে মৰ্মে উপলব্ধি কৰিলে। ভাবি-গুণি তেওঁ স্থিৰ কৰিলে যে তেওঁলোক দুয়োৰো অন্তৰৰ সেই শূন্যতাবোধ দূৰ কৰাৰ একমাত্ৰ উপায়—ইব্ৰাহিম-হাজেৰাৰ ভিতৰত বৈধ মিলন সংঘটন আৰু তাৰ দ্বাৰা সন্তান লাভ।

ছাৰা বিবিয়ে এদিন ছেগ বুজি মনৰ কামনা স্বামীৰ আগত দাঙি ধৰিলে। পত্নীৰ প্ৰস্তাৱটো হজৰত ইব্ৰাহিমৰ মনত গোনতে তেনেই অলঙ্ঘ্য যেন লাগিল। তেওঁ সেইবাবে তেনে প্ৰস্তাৱত কোনোমতে মান্তি হ'ব নোৱাৰিলে। কিন্তু ছাৰা বিবিও সহজে পৰাজয় স্বীকাৰ কৰা বিধৰ তিৰোতা নাছিল। তেওঁ স্বামীক নিজৰ মতলৈ ঘূৰাবলৈ দিনে-নিশাই কুতুৰিবলৈ ধৰিলে। শেষত পত্নীৰ অনুৰোধ উপেক্ষা কৰিব নোৱাৰি তেওঁ বিবি হাজেৰাক বিয়া কৰিবলৈ মান্তি হ'ল। যথাৰীতি বিয়াখন হৈ গ'লত তিনিও মনৰ সুখেৰে দিন নিয়াবলৈ ধৰিলে।

এইদৰে বহুত দিন অতীত হ'ল। এদিন হজৰত ইব্ৰাহিমে আল্লাৰ ওচৰত পুত্ৰ সন্তান লাভৰ কাৰণে প্ৰাৰ্থনা জনালে। তেওঁৰ বয়স তেতিয়া আশীৰ ওপৰ। খোদাতা'লাই তথাপি তেওঁৰ প্ৰাৰ্থনা গ্ৰহণ কৰিলে। তেওঁ যেন শুনিবলৈ পালে— 'ইব্ৰাহিম, আকাশৰ তৰাৰ দৰে তোমাৰ বংশধৰো অসংখ্য হ'ব।'

তাৰে কিছুদিন পাছত পত্নী হাজেৰাৰ গৰ্ভ-লক্ষণে দেখা দিলে। স্বামীৰ তেওঁ আৰু বেছি সুৰাগী হৈ পৰিল। তাতে ছাৰা বিবিৰ অন্তৰত ঈৰ্ষাৰ অগ্নি জ্বলি উঠিল। তেওঁক সেই অগ্নিয়ে দহি-পুৰি মাৰিবলৈ ধৰিলে। যি হাজেৰাৰ লগত তেওঁ এদিন নিজৰ প্ৰাণাধিক পতি হজৰত ইব্ৰাহিমৰ মধুৰ মিলন ঘটাই সুখৰ সংসাৰ এখন ৰচিবলৈ ব্যাকুল হৈ পৰিছিল সেই হাজেৰাক তেওঁ আজি চকুৰ কোণেৰেও দেখিব নোৱাৰা হ'ল। সতিনী হাজেৰা আজি হ'ল তেওঁৰ চকুৰ কুটা, দাঁতৰ শূল। হাজেৰা কেনেকৈ নির্মূল হয় এয়ে হ'ল এতিয়া তেওঁৰ দিনৰ চিন্তা, ৰাতিৰ সপোন। ছেগ চাই সকলো সময়তে তেওঁ হজৰত ইব্ৰাহিমৰ আগত সপত্নী হাজেৰাৰ বিৰুদ্ধে কথা লগাবলৈ ধৰিলে।

বাইদেৱেক ছাৰা বিবিৰ কেটেৰা-জেঙেৰা অসহনীয় হৈ পৰাত বিবি হাজেৰা এদিন হতাশ মনেৰে হাবিৰ মাজলৈ গুচি গ'ল আৰু তাতে বহি অচল-অটলভাৱে কৰুণাময় আল্লাহতালাক চিন্তা কৰিবলৈ ধৰিলে। তেতিয়া এজনা ফিৰিস্তাই (অশৰীৰী স্বৰ্গদূতে) বিবি হাজেৰাক কলে,—'বিবি হাজেৰা, তুমি উঠা আৰু নিজৰ ঘৰলৈ উভতি যোৱা। তোমাৰ এটি পুত্ৰ সন্তান উপজিব। সি তোমাৰেই নহয়, সমগ্ৰ জগতৰে কল্যাণ সাধন কৰিব। তাৰ নাম থবা ইস্মাইল।'

বিবি হাজেৰাই [illegible] কাৰণে মনত বিপুল বল আৰু সান্ত্বনা লাভ কৰিলে। তেওঁ ঘৰলৈ উভতি আহিল। এইবাৰ ঘৰ পালত কিন্তু তেওঁৰ মনৰ অশান্তি দুগুণে বাঢ়িল। ছাৰা বিবিৰ কটু কথা আৰু দুৰ্ব্যৱহাৰে তেওঁক এতিয়া গৃহ-সুখৰ পৰিবৰ্তে নৰক-যাতনা দিবলৈ ধৰিলে। তথাপি সেই সকলোবোৰ তেওঁ কৰুণাময় আল্লাৰে দান বুলি জানি ফিৰিস্তাৰ কথাৰ ওপৰতে ভৰসা কৰি সহিবলৈ দাঁত চেপি থাকিল।

যথাসময়ত বিবি হাজেৰাই পুত্ৰ-মুখ দৰ্শন কৰিলে। সুন্দৰ, সুশোভন নিপোতল সন্তানটি! যথানিৰ্দ্দিষ্টভাৱে নাম ৰখা হ'ল ইস্মাইল। সন্তানৰ মুখলৈ চাই মাকে নিজৰ জীৱনৰ সকলো দুখ-যন্ত্ৰণা পাহৰি পেলালে।

দিন গৈ থকাৰ লগে লগে ছাৰা বিবিৰ দুৰ্ব্ব্যৱহাৰ দুগুণে বাঢ়ি আহিল। ঈৰ্ষাৰ অনলত অৰ্দ্ধদগ্ধ হৈ তেওঁ এদিন স্বামী হজৰত ইব্ৰাহিমক কলে— 'যি নাৰীয়ে স্বামীৰ সঙ্গ ত্যাগ কৰি অৰণ্যলৈ যাব পাৰে তেওঁক স্বামীয়ে ঘৰত ঠাই দিয়া উচিত নহয়। তাকে কৰিলে তেওঁ নিজেই গৃহত্যাগ কৰিবলৈ বাধ্য হ'ব।'

হজৰত ইব্ৰাহিম ঘোৰ সমস্যাত পৰিল। চিন্তা-ভাৱনাৰ একো পাৰ-কূল নাপাই ভাবপৰা তেওঁক পৰিত্ৰাণ কৰিবলৈ তেওঁ আল্লাহতাল্লাৰ ওচৰত আকুল প্ৰাৰ্থনা জনালে। তেতিয়া হঠাৎ দৈৱ-বাণী হ'ল—'ইব্ৰাহিম, তুমি সম্প্ৰতি গৃহত্যাগী হোৱা। তোমাৰ পত্নী হাজেৰা আৰু ইস্মাইলকো লগত লৈ যোৱা। মৰুভূমিৰ মাজত তেওঁলোক দুয়োকে পৰিত্যাগ কৰিবা। মোৰ বিশাল সৃষ্টিত আৰু দুটি প্ৰাণীৰ কাৰণে ঠাইৰ নাটনি নহয়। তুমি চিন্তা নকৰিবা।'

প্ৰিয়তমা পত্নী আৰু প্ৰাণৰ পুতলী পোনাটিক নিৰ্ব্বাসন দিয়াৰ চিন্তাই হজৰত ইব্ৰাহিমক ব্যাকুল কৰিলে যদিও, তেওঁ বিৰত আৰু কৰ্ত্তব্যৰপৰা বিৰত নহ'ল। কেঁচুৱা ইস্মাইল আৰু পত্নী হাজেৰাক লৈ তেওঁ পিছ দিনা ঘৰৰপৰা বাহিৰ হ'ল।

উদাৰ অসীম আকাশৰ তলত অনিৰ্দ্দিষ্ট স্থানলৈ তিনিটি প্ৰাণীয়ে যাত্ৰা আৰম্ভ কৰিলে। গৈ গৈ তেওঁলোক মৰুভূমিৰ ওচৰৰ ফাৰাণ নামে মৰুভূমিত উপনীত হ'ল। সেই ঠাইত তৰু-তৃণাদিৰ লেশমাত্ৰও নাছিল। তাৰেই অনতি দূৰত আজিকালিৰ পবিত্ৰ মক্কা নগৰ অৱস্থিত। সেই কাৰাণ মৰুভূমিতে বিবি হাজেৰা আৰু শিশু ইস্মাইলক এৰি আহিবলৈ মনস্থ কৰি হজৰত ইব্ৰাহিমৰ মন শোকত বিহ্বল হৈ পৰিল। একালে প্ৰিয়তমা পত্নী আৰু নৱজাত পুত্ৰৰ প্ৰতি স্নেহ, অকাট্য টান, আনফালে খোদাৰ আদেশ। এই দুটা বিৰোধ ভাবৰ দোমোজাত পৰি তেওঁ সৰ্ব্বশক্তিমান আল্লাৰ ওচৰত এইদৰে প্ৰাৰ্থনা জনালে—'হে কৰুণাময় খোদা! জীৱনৰ [illegible] মৰুমাৰোয়াত ৰাখে যাবে তুমি ৰোক্ষা [illegible] কৰি আছা। [illegible]

এই কঠিন পৰীক্ষাত উত্তীৰ্ণ হবলৈ মোক শক্তি দান কৰা, প্ৰভু! তোমাৰ ইচ্ছা পূৰ কৰিবলৈ আজি মই এই হেন জনমানৱশূন্য শুকান মৰুভূমিত পুত্ৰ আৰু ভাৰ্য্যাক পৰিহাৰ কৰি উলটি যাম। তুমিয়ে তেওঁলোকৰ সহায় হবা, প্ৰভু।'

ইব্ৰাহিম আহিবলৈ ওলাল। পত্নী হাজেৰাই কলে—'এই হেন নিৰ্জ্জন মৰুভূমিত নিৰাশ্ৰয়ভাৱে আমাক অকলে এৰি থৈ আপুনি ক'লৈ যাবলৈ ওলাইছে?'

ইব্ৰাহিমে উত্তৰ দিলে—'এয়ে আল্লাহতাল্লাৰ নিৰ্দ্দেশ।' ইব্ৰাহিমে আৰু অধিক একো কব নোৱাৰিলে। দুগালেদি চকুলো বাগৰি গ'ল।

বিবি হাজেৰাৰো কিন্তু আল্লাহতাল্লাৰ বিধানত অটলত বিশ্বাস আছিল। তেওঁ আত্মসম্বৰণ কৰি কলে—'আপুনি আপোনাৰ পথ লওক। আল্লাই কেতিয়াও আমাক ধ্বংস নকৰে।' ইব্ৰাহিম আহিল।

পত্নী হাজেৰাক হজৰত ইব্ৰাহিমে খাবলৈ অলপ খাজুৰ আৰু পিবলৈ এটা পাত্ৰত পানী দি থৈ আহিছিল। লাহে লাহে সেইবোৰ টুকাই আহিল। ওচৰত ক'তো আহাৰ-পানী পাবলৈও নাই। কোলাত কেঁচুৱা শিশুটিৰ কাতৰ কান্দোনত গগন বিদীৰ্ণ হ'ল; কিন্তু সহায়ৰ সহাৰি হলে কাৰোপৰা পোৱা নগ'ল। মাক হাজেৰাই শিশুটিক শুকান বালিৰ ওপৰতে শুৱাই থৈ ওচৰে-পাজৰে ঘূৰি-ফিৰি হাবাথুৰি খাই পানী বিচাৰিলে। ওচৰতে থকা ছফা আৰু মৰোৱা নামৰ পৰ্ব্বতৰ ওপৰতো জলৰ সন্ধানত বগুৱা-বাই ফুৰিলে; এবাৰ নহয়, দুবাৰ নহয়, সাত বাৰ ঘূৰিলে, কিন্তু পানীৰ ছলে ক'তো একো চিন-মোকাম নেদেখিলে। তেওঁ পাগলিনীৰ দৰে আউলী-বাউলী হৈ পুনঃ কান্দি থকা শিশুটিৰ ওচৰ পালেহি। অনাথিনী মাতৃৰ দুয়ো চকুৰেদি চকুলো বৈ গৈ তপত বালিৰ লগত মিহলি হ'ল। কান্দি কান্দি তেওঁ ওপৰৰ উদাৰ আকাশখনলৈ চাই বাহু তুলি প্ৰাৰ্থনা জনালে—'দয়াময় আল্লা, তুমি মোক মাতৃত্ব দান কৰিছিলা কিয় প্ৰভু? এতিয়া এই ঘোৰ সঙ্কটত পোনাটিক ৰক্ষা কৰিবলৈ তোমাৰ অবিহনে মোৰ আৰু কোন আছে খোদা?'

ইয়াকে কৈ আতুৰ অন্তৰেৰে তেওঁ কেঁচুৱাটো মাটিৰপৰা তুলি লবলৈ হাত মেলিলে। এনেতে বিস্ময় সহকাৰে তেওঁ দেখিবলৈ পালে—শিশুৰ

পাহাৰখনত কৃত হোৱা ঠাইত বালি তেদ কৰি জলধাৰা নিৰ্গত হৈছে। খন্তেকৰ ভিতৰতে তাতে এটি ক্ষুদ্ৰ জলাশয় তৈয়াৰ হ'ল। বিবি হাজেৰাই আৰু সৰহ পৰ নৈ নাথাকি তাৰে পানী কেঁচুৱাটোৰ মুখত দিলেহি আৰু নিজেও পেটভৰি পানী খালে। কালক্ৰমত সেই জলাশয়টি এটি নাদত পৰিণত হ'ল। সেই স্নাদৰ পানী সদায় একে পৰিমাণে থাকিবলৈ ধৰিলে। এই নাদ আজিও বৰ্তমান আৰু ইয়াক "জম্‌জমৰ কুঁৱা" নামে জনা যায়। প্ৰত্যেক বছৰে হজ কৰিবলৈ যোৱা যাত্ৰীসকলে বিবি হাজেৰাৰ দুখৰ কৰুণ স্মৃতি সোঁৱৰণ কৰি বঙ্কা আৰু মৰোৱা দুইটা টিলাৰ মাজৰ তৈয়াৰত আজিও দৌৰি অহা-যোৱা কৰে আৰু সেই জম্‌জম্ নাদৰ পবিত্ৰ পানী খায় আৰু পাত্ৰত ভৰাই লগতলৈ ঘৰলৈ আনে। জম্‌জম্ নাদৰ পবিত্ৰ জলৰ বাবা আকৃষ্ট হৈ বণিকসকলে মৰুভূমিৰ মাজৰ এই স্থানৰ মাহাত্ম্য উপলব্ধি কৰিব পাৰি তাৰ চাৰিওকালে বসতিৰ কাৰণে গৃহ নিৰ্মাণ কৰি ললে। ক্ৰমে ই এখন বিত্তোপান নগৰত পৰিণত হ'ল। ইয়াৰেই নাম হ'ল বক্কা বা মক্কা।

এই ধৰণে মৰুভূমিত বিবি হাজেৰা আৰু পুত্ৰ ইস্মাইলক লালিত পোনা মেৰাব ধৰে এৰি থৈ আহি হজৰত ইব্ৰাহিমে বিষাদ আৰু উদ্বিগ্নতাত দিন-বোৰ নিয়াবলৈ ধৰিলে। তেওঁ পত্নী ছাৰা বিবিৰ লগত পৰামৰ্শ কৰি মাজে সময়ে গৈ তেওঁলোকৰ খা-খবৰ লৈ আহিবলৈ ধৰিলে। মাকৰ তত্ত্বাবধানত ইস্মাইল দিনে দিনে ডাঙৰ হৈ আহিল।

এদিন হজৰত ইব্ৰাহিমে সপোনত দেখিলে— আল্লাই যেন তেওঁক আদেশ দিছেহি, তেওঁ ইস্মাইলক আল্লাৰ নামত কোৰবানি দিব লাগে। সাৰ পাই তেওঁ আচৰিত হ'ল যদিও বিচলিত নহ'ল। তেওঁ ভাবি-চিন্তি পুত্ৰেক ইস্মাইলৰ ওচৰ পালেগৈ।

হজৰত ইব্ৰাহিমে সপোনৰ কথা পুত্ৰেকক ক'লত পুত্ৰেক ইস্মাইলে অলপো ইতস্ততঃ নকৰাকৈ কলে—'আব্বাজান, আল্লাৰ ইচ্ছা পূৰ্ণ কৰিবলৈ দিয়ক। মই সৰ্বতোপ্ৰকাৰে প্ৰস্তুত।' (কোৰাণ ৩৭।১০২)।

পিতাকৰ নিৰ্দেশমতে ইস্মাইলে উৎকৃষ্ট সাজপাৰ পিন্ধি ললে আৰু পিতা-পুত্ৰ দুয়ো ওচৰৰ মীনা পৰ্বতত উঠিলগৈ। পৰ্বতৰ নিভৃত স্থানত দুয়ো কথাদিহা কোৰবাণিৰ কাৰণে প্ৰস্তুত হ'ল। ভূমিৰ ওপৰত ভিৰি পাৰি দি ইস্মাইল উবুৰি হৈ পৰি থাকিল। (কোৰাণ ৩৭।১০৩)। হজৰত ইব্ৰাহিমে

আল্লাৰ নাম স্মৰণ কৰি মন দৃঢ় কৰি ললে। চকচকীয়া তীখাল ছুৰী তেওঁৰ হাতত তিৰ্‌-তিৰাবলৈ ধৰিলে। কোৰবাণি সমাধা হবলৈ আৰু মাত্ৰ এক মুহূৰ্ত্ত বাকী, এনেতে গুৰুগম্ভীৰ স্বৰত আকাশী বাণী হ'ল—'ক্ষান্ত হোৱা ইব্ৰাহিম। পৰীক্ষাত তুমি উত্তীৰ্ণ হৈছা। স্বপ্নাদেশ তোমাৰ আখৰে আখৰে পালন কৰা হৈছে। (কোৰাণ ৩৭।১০৫) ইস্মাইলক তুমি জীয়াই থাকিবলৈ দিয়া। তেওঁৰ সলনি এটি ভেৰা কোৰবাণি কৰা।' কাৰ্য্যত সেয়ে হ'ল।

হজৰত ইব্ৰাহিমৰ পুত্ৰ-কোৰবাণিৰ এই পবিত্ৰ স্মৃতিটোকে উপলক্ষ কৰি মুছলমানৰ জন্ত কোৰবাণি প্ৰথা প্ৰচলিত হৈছে। বহুতৰ মতে এই জন্তু-কোৰবাণি প্ৰথাই নৰ-বলি প্ৰথাৰ অৱসানৰ স্মৃতি-স্তম্ভ।

সময়ৰ সোঁতত অকল হজৰত ইব্ৰাহিমেই নহয়, ইস্মাইলেও সেই এক আৰু অদ্বিতীয় আল্লাৰ উপাসনা প্ৰচাৰ কৰাকেই জীৱনৰ মুখ্য ব্ৰত হিচাপে গ্ৰহণ কৰিছিল। পিতা-পুত্ৰ দুয়ো লগ হৈ মক্কাত আল্লাৰ উপাসনাৰ কাৰণে এটা উপাসনা-গৃহ নিৰ্ম্মাণ কৰিলে। এই ঘৰকেই কা'বা বা বইতুল্লাহ (অৰ্থাৎ আল্লাৰ আবাস) বোলা হয়। এই গৃহ নিৰ্ম্মাণৰ কালত পিতা-পুত্ৰ দুয়ো প্ৰাৰ্থনাত গদ্‌গদ স্বৰে কৈছিল—'হে কৰুণাময় আল্লা, তুমি সৰ্ব্বজ্ঞ, তুমি সৰ্ব্বদৰ্শী। আমাৰ দুয়োকে তুমি তোমাত আত্ম-সমৰ্পণ কৰা দুটি একান্ত ভৃত্য (মুছলিম) বুলি গ্ৰহণ কৰা আৰু তোমাৰ ইচ্ছা পূৰণ কৰিবলৈ আমাৰ বংশধৰসকলৰপৰা এটা মহৎ জাতি গঢ়ি তোলা। তোমাৰ অনুগ্ৰহত যেন এই নগৰ এখন পুণ্য ক্ষেত্ৰত পৰিণত হয়, আৰু যেন এই কা'বাত আমাৰ বংশধৰসকলে তোমাক একান্তে চিৰকাল প্ৰাৰ্থনা কৰিব পাৰে। হে কৰুণাময়! আমাৰ বংশধৰসকলৰ মাজৰপৰাই কোন কালত এজনা নবীৰ আবিৰ্ভাব হয় যিজনে তোমাৰ বাণী প্ৰচাৰ কৰি তোমাৰ ধৰ্মপুথি আৰু সত্য জ্ঞানৰ দ্বাৰা সকলোকে পবিত্ৰ কৰিব পাৰে।

হজৰত ইব্ৰাহিম আৰু তেওঁৰ পুত্ৰ ইস্মাইলৰ প্ৰাৰ্থনাৰ ফল স্বৰূপে আল্লাই যথাসময়ত হজৰত মহম্মদক প্ৰেৰণ কৰি প্ৰেৰিত কৰিছিল।

হজৰত ইউচুফৰ কাহিনী

হজৰত ইব্ৰাহিম তেতিয়া এশ বছৰীয়া বুঢ়া। সেই বয়সত তেওঁৰ ঔৰসত সন্তান লাভ এটা প্ৰায় অলৌকিক ঘটনা। তথাপি সিও সম্ভৱ হৈছিল তেওঁৰ ক্ষেত্ৰত। তেওঁৰ প্ৰথমা পত্নী ছাৰা বিবিৰ গৰ্ভত সেই বয়সত তেওঁৰ পুত্ৰ এটি জন্মিল, নাম, ইচহাক। ইচহাকৰ দুটি পুত্ৰ— ইয়াছা আৰু ইয়াকুব। হজৰত ইয়াকুবৰ বাৰটি পুত্ৰৰ ভিতৰত প্ৰথম দহোটিৰ একে মাক আৰু শেহৰ দুটিৰ মাক পৃথক। একাদশ পুত্ৰৰ নাম ইউচুফ আৰু নিচেই সৰুলীয়াটিৰ নাম আছিল বিন্ ইয়ামিন।

হজৰত ইয়াকুব ডাঙৰ পয়গম্বৰ আছিল। তেওঁৰ দ্বিতীয় পত্নীৰ বিয়োগ ঘটাত ইউচুফ আৰু বিন্ ইয়ামিন মাতৃহীন হয়। এই এমাউৰিয়া মাউৰা ল'ৰা দুটাই যাতে মাহীমাক নাইবা বৈমাত্ৰেয় ভ্ৰাতৃসকলৰ হাতত কষ্ট নাপায় তাৰ কাৰণে হজৰত ইয়াকুব বিশেষভাৱে সতৰ্ক আছিল।

লাহে লাহে আটাইকেইটা ককাই-ভাই ডাঙৰ হৈ আহিল। তেতিয়া এদিন ৰাতি শিশু ইউচুফে এটা সপোন দেখিলে। সপোনত তেওঁ দেখিলে আকাশৰ চন্দ্ৰ, সূৰ্য্য আৰু এঘাৰটা নক্ষত্ৰই তেওঁক যেন সেৱা ধৰি মূৰ্ত্তিমান হৈ প্ৰণাম কৰিছেহি।

তেওঁ পিছদিনা সপোনৰ সকলো বৃত্তান্ত পিতাক হজৰত ইয়াকুবক কলে। বহুতেক ভাবি-গুণি চাই হজৰত ইয়াকুবে সপোনৰ গূঢ়াৰ্থ বুজিলে আৰু পুতেক ইউচুফক কলে—'ভাল সপোন দেখিছা, বাছা। ইয়াৰ ফলত তুমি হৈ এদিন তোমাৰ পিতা-মাতা আৰু একাদশ ভ্ৰাতাতকৈও শ্ৰেষ্ঠ হবা। তুমি এই সপোনৰ কথা ভুলতো কেতিয়াও ভায়েৰাহঁতক নকবা। তেওঁলোকে এই সপোনৰ বৃত্তান্ত শুনিলে ঈৰ্ষাপৰৱশ হৈ তোমাৰ অনিষ্ট কৰিবলৈ উদ্যত হব পাৰে।' পুতেক ইউচুফৰ প্ৰতি হজৰত ইয়াকুবৰ মমতা সেইদিন ধৰি আৰু বাঢ়িবলৈ ধৰিলে। তেওঁ ইউচুফক [illegible] নজৰৰ বাহিৰ আৰু তেওঁক ঘৰৰপৰা বাহিৰ [illegible] নিৰিবিলাত ৰাখিল।

পিতাকৰ এনে ব্যৱহাৰত ককায়েক-ভায়েকহঁতৰ ইউচুফৰ প্ৰতি ঘোৰ ঈৰ্ষা জন্মিল। সিহঁতে কিবা উপায়ে সপোনৰ কথা জানিব পাৰিলে। তেতিয়া সিহঁতে মিলি গোপনে চক্ৰান্ত কৰিলে যে ইউচুফক সিহঁতে বুধি-কৌশল কৰি বধ কৰিহে এৰিব। সিহঁতৰ সকলোৱে এদিন গোট খাই পিতাক ইয়াকুবৰ ওচৰলৈ গ'ল আৰু কলে 'অ'ব্বাজান, ভাইটি ইউচুফক আপুনি আমাৰ লগত খেলিবলৈ যাব নিদিয়ে কিয়? আমি ইমানকেইটা ককাই-ভাই থাকোঁতে আপুনি তাৰবাবে অনাহকত চিন্তা কৰিব লাগিছে কেলেই? আমি তাক ক'তো অকণো কষ্ট পাবলৈ নিদিওঁ নহয়! এনেকৈ ঘৰটোৰ ভিতৰতে বন্ধ কৰি ৰাখিলে সি জানো জোৱা হৈ নাথাকে? আমাৰ তেতিয়া বেয়া নালাগিব জানো? তাক আপুনি আমাৰ লগত এৰি দিয়ক। আমি তাৰ আৱশ্যকীয় তত্ত্বাৱধান লম।'

পুতেকহঁতৰ এনে মোহলগা কথাত হজৰত ইয়াকুবৰ অন্তৰ কমলিল। তেওঁ ইউচুফক বাকী কেইজন ককায়েক-ভায়েকৰ লগত যাবলৈ অনুমতি নিদি নোৱাৰিলে। পিতাকৰ অনুমতিত সেই দিন ধৰি আটায়ে একেলগে ফুৰিবলৈ ধৰিলে। পিছে, এদিন ইউচুফ লগত নথকাত আটায়ে এইদৰে গোপনে আলচ কৰিলে—।

এজনে কলে—'তাক হাবিলৈ নি মাৰি পেলোৱা যাওক।'

অন্য এজনে কলে—'নহয়, তাক মাৰি পেলাবা কেনেকৈ? সেইটো ঘৰ টান কাম হব। তাক কোনো এখন গভীৰ অৰণ্যলৈ নি তাতে বান্ধি থৈ আহিম। বনৰীয়া জন্তুৱে খাই পেলাব।'

তৃতীয় এজনে কলে—'নহয়, তাক আমাৰ লগত নিবলৈ নি তাতে মাৰি-ধৰি কোনো এটা নাদত বা গাঁতত পেলাই দিয়হক। তাকে কৰিলে কোনেও আৰু একো গম নাপাব। সি তাতে মৰি থাকিব।' —বহুতো আলোচনাৰ অন্তত শেষৰ সিদ্ধান্তটোকে সকলোৱে গ্ৰহণ কৰিলে।

পিছদিনা ইউচুফক লগত লৈ সিহঁত ফুৰিবলৈ খেলিবলৈ গ'ল। তাতে খেলাৰ পাছতে আটায়ে তাক মাৰি-ধৰি তাৰ জোলাটো খুলি ললে আৰু তাক এটা প্ৰকাণ্ড নাদত পেলাই দিলে। তাৰ পাছত সিহঁতে ইউচুফৰ গাৰ জামা জোলাটোত কেচুৰ তেজ সানিলে আৰু তাক লৈ ঘৰ পালেহি।

ঘৰ পাই সিহঁতে কান্দি কান্দি পিতাক ইয়াকুবক ক'লে—'আব্বাজান, ইউচুফক আমি আমাৰ কাপোৰবোৰ ৰখিবলৈ দি আটায়ে হাবিৰ ওচৰত ৰং-মনে খেলি আছিলোঁ। এনেতে তাক হাবিৰ পৰা এটা বাঘ আহি টানি লৈ গ'ল আৰু খাই পেলালে। আমি খোদ্দি গৈ তাৰ পিন্ধা চোলাটোহে মাত্ৰ তেজেৰে বাউলি হৈ পৰি থকা পালোঁ। এয়া তাকে আনিছোঁ।' এই বুলি সিহঁতে লগত লৈ যোৱা চোলাটো দেখুৱালে।

হজৰত ইয়াকুবে দেখিলে যে চোলাটো ক'তো অকণো ফলা-ছিৰা নাই। তেওঁৰ মনত সন্দেহ উপজিল। তেওঁৰ ধাৰণা হ'ল যে ইউচুফক অন্ততঃ বাঘে খোৱা নাই। পুত্ৰেকহঁতক তেওঁ ক'লে—'নহয় বাছাহঁত, ই নিশ্চয় প্ৰকৃতিৰে পৰিহাস। এনে সময়ত আল্লাৰ ওপৰত ভাৰসা কৰি ধৈৰ্য্য ধৰাই একমাত্ৰ উপায়। তোমালোকে যি বৰ্ণনা দিলা, তাত মোৰ সহায় কৰিবলৈ সৰ্ব্বশক্তিমান আল্লাৰ ওচৰতহে মই কৃপা ভিক্ষা কৰিছোঁ।

দিনদিয়েকৰ পাছত জনচেৰেক সদাগৰ সেই নাদটোৰ ওচৰেদি যাওঁতে বহুত দূৰ বাট বুলি গৈ তেওঁলোকৰ বৰ পিয়াহ লাগিছিল। তেওঁলোকে ওচৰতে নাদটো দেখি লগত থকা লগুৱাটোক তাৰ পৰা পানী আনিবলৈ পঠিয়ালে। লগুৱাজনে গৈ বাল্টিত ৰচি লগাই দলে আৰু আগ-পিছ নকৰি তাকে নাদত পেলাই দিলে। সি গাৰ বলেৰে টানি কোনোমতে বাল্টিটো পাৰলৈ তুলি আনিলে। সেই বাল্টিত ধৰি ইউচুফ পাৰলৈ উঠি আহিল। পানীৰ পৰিবৰ্ত্তে বাল্টিত মানুহ এটা উঠি অহা দেখি লগুৱা অবাক হ'ল। সি ল'ৰাটোক কোনোমতে ধৰি ধৰি সদাগৰকেইজনৰ ওচৰলৈ লৈ গ'ল। সদাগৰসকলেও ল'ৰাটিক [illegible] অৱশেষত আনিলে আৰু নাম সুধি জানিব পাৰিলে ল'ৰাটিৰ নাম ইউচুফ।

ইউচুফ দেখিবলৈ বৰ ধুনীয়া আছিল। সেইদেখি [illegible] সকলে লগে লগে ভাবিলে—ইউচুফক নি দূৰৈত বিক্ৰী কৰিলে [illegible] পোৱা যাব। তেওঁলোকে তেনেকৈ [illegible] [illegible] [illegible] পোৱা বিষয়ে খবৰটো গোপন ৰাখিলে।

[illegible] [illegible] ইউচুফক [illegible] [illegible] বিক্ৰী কৰি [illegible] [illegible] এজনে তেওঁক কিনি নিলে আৰু তেওঁৰ পত্নীৰ হাতত সোধাই দি এই

কলে—'ইয়াক তালকৈ ৰাখিবা। আমাৰ সন্তি-সন্ততি নাই। ইয়াকেই তুমি-তালি আমাৰ পুত্ৰ হিচাবে লমহক।' উজীৰৰ ঘৈণীয়েকেও এনে ধুনীয়া চেহেৰাৰ ল'ৰা এটি পাই আনন্দত আপোনপাহৰা হ'ল। এই উজীৰজনাৰ নাম আছিল—কিংফীৰ আজিজ আৰু তেওঁৰ পত্নীৰ নাম—জুলেখা।

জুলেখা পৰম ৰূপৱতী ৰমণী আছিল। বিয়াৰ কেইবা বছৰ পাছলৈও তেওঁৰ সন্তি-সন্ততি হোৱা নাছিল। নিঃসন্তান অৱস্থাৰ কাৰণে জুলেখাৰ মনত শান্তি নাছিল। পুত্ৰৰ প্ৰতি সঞ্চিত হৈ থকা জননীৰ অন্তৰৰ সকলোখিনি চেনেহ তেওঁ গোনতে ইউচুফৰ ওপৰতে ঢালি-বাকি দিছিল।

ক্ৰমে ক্ৰমে ইউচুফে যৌৱনৰ দুৱাৰদলিত ভৰি দিলেহি। তেওঁ লহপহ চেহেৰাৰ চফল ডেকাটো হৈ পৰিল। চকুত তেওঁৰ অসামান্য জেউতি, মুখত সদায় মনোহৰ হাঁহি। গাল-মুখত তেজে ফুটি-যাওঁ,-ফাটি-যাওঁ কৰি থাকে। যৌৱনৰ পূৰ্ণতা প্ৰাপ্ত হোৱাৰ লগে তেওঁ আল্লাৰ বিশেষ অনুগ্ৰহ লভি জ্ঞান আৰু বিদ্যাৰো অধিকাৰী হ'ল। তেওঁৰ সদ্য-প্ৰস্ফুটিত যৌৱনৰ ভুবন-ভুলোৱা ৰূপত জুলেখা কিন্তু তেনেই মোহ গ'ল। উতলা যৌৱনৰ উদ্দাম বাসনাই তেওঁৰ অন্তৰৰ মাতৃত্ব আৱৰি পেলালে। অতৃপ্ত মনৰ দুৰ্দমনীয় গুপুত বাসনা আৰু বেছিদিন দমাই ৰাখিব নোৱাৰি এদিন তেওঁ-ইউচুফক নিজৰ শোৱা কোঠালিৰ ভিতৰলৈ মাতি নিলে আৰু ঘৰৰ দুৱাৰ বন্ধ কৰি তেওঁৰ ওচৰত কামনা চৰিতাৰ্থৰ অসৎ প্ৰস্তাৱ দাঙি ধৰিলে। নাৰী চাতুৰ্য্যৰ নানান প্ৰলোভনীয় আকৰ্ষণো তেওঁৰ সন্মুখত দাঙি ধৰা হ'ল।

জীৱনৰ এনে এটি মুহূৰ্তত স্বাস্থ্যৱান যুৱক ইউচুফ ঘোৰ সমস্যাত পৰিল। সৰ্বশক্তিমান আল্লাৰ বিশেষ কৰুণা লাভ নকৰা হলে তেওঁ। হয়তো এই সমস্যাত অন্যান্য সাধাৰণ যুৱক এজনৰ দৰেই আচৰণ কৰিলেহেঁতেন। আল্লাৰ প্ৰত্যক্ষ নিদৰ্শন তেওঁৰ অন্তৰত অকস্মাৎ প্ৰতিভাত হ'ল। তেওঁৰ চিন্তা-ক্লিষ্ট অশান্ত মনে প্ৰশান্তি লাভ কৰিলে। তেওঁ কৰ্তব্য নিৰ্ণয় কৰিবলৈ সমৰ্থ হ'ল আৰু তৎক্ষণাৎ কোঠালিটোৰ বন্ধ দুৱাৰখন খুলি বাহিৰলৈ ওলাই যাবলৈ বুলি সেইপিলে গতি কৰিলে।

জুলেখাৰ অন্তৰত কিন্তু সেই সময়ত কামনাৰ সৰ্প্পে চৌৰে খেলা কৰিছে লাগিছিল। তেওঁ উন্মাদিনীৰ দৰে উঠি ইউচুফৰ পিন্ধা কাপোৰত থাপ মাৰি

মাৰি ধৰিলে। দুয়োৰো জোটা-পোটা লাগিল। টনা-আজোঁৰাত ইউচুফৰ পিন্ধা চোলাটোৰ এবখলা ফাটি গ'ল। ইউচুফে দুৱাৰত হেঁচা দিলে আৰু দুৱাৰ খোল খালে। দুৱাৰমুখতে দুয়ো দেখিবলৈ পালে জুলেখাৰ পতি গৃহকৰ্ত্তা আজিজক দণ্ডায়মান। দুয়োৰো চুলিৰ আগেদি ধাতু উৰি গ'ল।

প্ৰত্যুৎপন্নমতিত্বৰ মুক্ত প্ৰতিযোগিতাত নাৰীৰ আৱহমানৰে পৰা আজিকো-পন্তি কোনো দিনেই বোধহয় পুৰুষে নাৰীক চেৰ পেলাব পৰা নাই। ইউচুফ-জুলেখাৰ ক্ষেত্ৰতো সেয়ে হ'ল। জুলেখাই স্বামীক তেনেকৈ সন্মুখত দেখি পোনেই গোচৰ দিলে 'চাওকচোন, আপুনি এই মুহূৰ্ত্তত নাহি নোপোৱাহলে মোৰ আজি কি সৰ্ব্বনাশ ঘটিলহেঁতেন। ইউচুফৰ দুঃসাহস দেখিলেনে? ইয়াক আপুনি এতিয়াই নি কাৰাবাস দিয়াৰ ব্যৱস্থা কৰক, নহলে মোৰ বিপদ আছে।'

ইউচুফ বিমোৰত পৰিল। তেওঁ জবাবদিহি হৈ ইয়াকে মাত্ৰ কলে 'তেখেতেহে মোক অসৎ কামত প্ৰবৃত্ত হ'বলৈ প্ৰৰোচনা কৰিছিল।'

ঘটনাৰ এই সমস্যাত পৰিয়ালৰে এজন বয়সস্থ লোকে সাক্ষী দিয়াৰ ছলেৰে কলে 'যদি ইউচুফৰ চোলাটোৰ সন্মুখৰ ফালে ছিৰিছে তেনেহলে জুলেখাৰ কথাই সত্য আৰু তেওঁৰ গাত দোষ নাই। যদিহে পাছফালে ছিৰিছে তেনেহলে ইউচুফৰ কথাহে সঁচা হব।' (কো' ১২।২৭)।

আজিজে কথাটো শুনি চালে আৰু অৰ্থপূৰ্ণ যেন পাই সেইমতে পৰীক্ষা কৰি চাই দেখিলে যে ইউচুফৰ কুৰ্ত্তাটোৰ পিঠিৰ ফালেহে ফালিছে। তেওঁ তেতিয়া কলে— 'ই নিশ্চয় তিৰোতাৰে চাতুৰী হব। তিৰোতাৰ বুধি কম নহয়।' তেওঁ ইউচুফক আঁতৰি যাবলৈ দি জুলেখাক কলে— 'প্ৰিয়ে, তুমি নিশ্চয় অপৰাধ কৰিছা। তোমাৰ পাপৰ বাবে তুমি আল্লাৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰা।' (কোঃ ১২।২৯)। ঘৰৰ ঘটনাটো সিমা-নতে থমাই লুকাই ৰখা হ'ল।

পিছে, কথা বুলিলেই বতাহ। বিশেষকৈ দুৰ্নাম আৰু অপবাদৰ কথা-বোৰ অতি শীঘ্ৰে বিয়পি পৰে। ইউচুফ-জুলেখাৰ ঘটনাটোও চহৰত ৰাষ্ট্ৰ হৈ পৰিল। বিশেষকৈ নাৰীৰ সমাজত দি সকলোৰে মুখে মুখে প্ৰচাৰ হৈ পৰিল। তিৰোতাসকলে জুলেখাক দোষ দিবলৈ ধৰিলে। (কোঃ ১২।৩০)।

তাকে শুনি জুলেখাই এদিন এটা যুগুতি কৰিলে। তেওঁ তিৰোতাসকলৰ কাৰণে এটা ভোজৰ আয়োজন কৰি তাতে সকলো তিৰোতাকে নিমন্ত্ৰণ কৰিলে। তিৰোতাসকল আহি পালত তেওঁলোকক বহিবলৈ দি খোৱাত কাটি খাবৰ কাৰণে একোটা কলাৰ ফল আৰু একোখনকৈ চোকা কটাৰী দিয়া হ'ল। যেতিয়া সকলোৱে ফল কাটিবলৈ আৰম্ভ কৰিছে তেতিয়া ইউচুফক তেওঁ কিবা ছেলু ধৰিয়াই মাতি পঠালে। ইউচুফ আহিল। সকলো তিৰোতাই ইমান দিনে শুনি থকা ইউচুফলৈ আগ্ৰহেৰে চাবলৈ ধৰিলে। তেওঁৰ ৰূপ আৰু যৌৱনে সকলোকে স্তম্ভিত কৰিলে। অন্যমনো-যোগী হৈ সকলোৱে এবাৰ ইউচুফলৈ আৰু এবাৰ হাতত কাটিবলৈ লোৱা ফলটোলৈ চাই চোকা কটাৰীৰে ফল কাটি থাকোঁতে কটাৰীয়ে সকলোৰে হাত কাটিলে। তেওঁলোকে একমুখে কৈ উঠিল—'হে আল্লা, এওঁতো মানুহ নহয়। এনে ৰূপ-যৌৱনেৰে এওঁ দেৱলোকৰ হে ফিৰিস্তা।' (কো: ১২।৩১)।

জুলেখাই এই সুযোগতে কলে 'তোমালোকে তেওঁকে মিছাতে মোক গালি-শাপ কৰিছিলা। এওঁ এজন সংযমী লোক। অৱশ্যে মোৰ আদেশ পালন যদি তেওঁ কেতিয়াবা অৱহেলা কৰে তেন্তে কাৰাবাসেই তেওঁৰ গতি হ'ব।' তিৰোতাসকল খানা খাই ঘৰামুৱা হ'ল।

ইউচুফে তেতিয়া দয়াময় আল্লাৰ ওচৰত প্ৰাৰ্থনা জনাই কলে 'হে নিখিলপতি তুমি মোক নাৰীৰ এনে কুহকৰপৰা ৰক্ষা কৰা। তেওঁ-লোকৰ এই মায়া-জালত পৰাতকৈ কাৰাবাসে মোৰ বাবে অধিকতৰ কাম্য। মোক লাগিলে কাৰাগাৰতেই থাকিবলৈ দিয়া, তথাপি নাৰীৰ এই মোহময় চাতুৰীৰপৰা মোক ৰক্ষা কৰা; নহলে মই অনুশোচনাত হৈ তোমাৰ সৃষ্টিৰ মূৰ্খলোকসকলৰ ভিতৰতে এজন হম।' (কো: ১২।৩৩)।

ইফালে ইউচুফ-জুলেখাৰ বিষয়ে সমাজত গুন-গুনণি উঠিবলৈ ধৰিলে। ইউচুফৰ বিৰুদ্ধে পুনঃ একাধিক লোকৰ বিচাৰালয়ত নালিচ কৰা হ'ল। সকলো-বোৰতে তেওঁৰ নিৰ্দোষিতা প্ৰমাণ হয় যদিও আজীজ-মিছৰে নিজৰ মৰ্যাদা ৰক্ষাৰ হেতুকে তেওঁক নিৰ্দিষ্ট সময়ৰ কাৰণে কাৰাগাৰত থাকিব দিবলৈ আদেশ দিয়া হ'ল।

ইউচুফক কাৰাবাস দিয়া হ'ল। সেই একে দিনাতে আৰু দুজন যুৱক ৰজাক বিষ খুওৱাৰ কাৰণে কাৰাগাৰলৈ পঠোৱা হৈছিল। তিনিওকে একেটা কোঠালিতে

[illegible] জিকিও [illegible]
[illegible]।

এইখিনিতে কৈ থোৱা উচিত যে ইউচুফে [illegible] কৰা এটা বিশেষ গুৰুত্বপূৰ্ণ [illegible] সপোনৰ [illegible] ঘটনাৰ ৰহস্য ব্যাখ্যা কৰিবলৈ বিশেষ শক্তি [illegible]।

এদিনাখন কাৰাগাৰৰ সেই দুজনে [illegible] হৈ নিজৰ নিজৰ সপোনৰ বৃত্তান্ত ইউচুফক [illegible]। [illegible] আঙুৰবোৰৰ সুৰা (মদ) [illegible]। [illegible] মুৰত ৰুটি কিছুমান কঢ়িয়াই [illegible] চৰাইবোৰে [illegible] খুঁটি খুঁটি খাইছে।

ইউচুফে সপ্নৰ বৃত্তান্ত শুনি কলে—'সপোনৰ ফল স্বৰূপে তোমালোকৰ প্ৰথম জনে অচিৰে মুক্তি পাব, আৰু বাদচাহৰ সঙ্গী হৈ তেওঁক চুৰুৎ পান কৰাবলৈ সুযোগ পাব। অন্য জনৰ কিন্তু ফাঁচি হ'ব, চৰাই-চিৰিকটিয়ে তেওঁৰ মূৰ খুঁটি খুঁটি খাব।' অচিৰে মুক্তি লভিব বুলি কোৱাজনক তেওঁ লগতে কৈ থলে, তেওঁ যেন ইউচুফৰ মুক্তিৰ কাৰণেও বাদচাহৰ ওচৰত যথাসময়ত খাটিবলৈ নাপাহৰে।

দুৰ্ভাগ্যৰ কথা, সেই কাৰাৰুদ্ধ দোষীজনে ইউচুফে কোৱামতে মুক্তি পাই কাৰাগাৰৰপৰা ওলাই গৈ বাদচাহৰ বিশ্বাসী [illegible] হ'ল সঁচা, কিন্তু ইউচুফৰ অনুৰোধৰ কথা তেওঁ সুঁৱৰি পাহৰি পেলালে।

এই ঘটনাৰ কিছুকাল পাছত এদিন বাদচাহে এটা সপোন দেখিলে। সপোনত তেওঁ দেখিলে—সাতোটা লেৰেলা-চেপেটা গাই গৰুৱে সাতোটা [illegible] গাইক খাই পেলাইছে, আৰু এঠাইত শস্য আছে সাতোটা [illegible] থানৰ [illegible] আৰু তাৰ ওচৰতে সাতোটা শুকান [illegible]। সপোনটো কিমান অদ্ভুত [illegible]

বাদচাহে এনে বেমেৰিয়াহ সপোনৰ প্ৰকৃত অৰ্থ জনাবৰ নোৱাৰি পণ্ডিত-[illegible] [illegible] তাৰ প্ৰকৃত [illegible] অৰ্থ উলিয়াব [illegible] [illegible] কাৰাগাৰৰপৰা মুক্তি পোৱা [illegible] [illegible]। [illegible] ইউচুফলৈ [illegible]। তেওঁ [illegible] [illegible] এই [illegible]

[illegible] মাৰহাঁতীৰ সপোনৰ অৰ্থ উলিয়াই আনিব পাৰে। অনুগ্ৰহ কৰি অনুমতি দান কৰক।' বাদচাহে অনুমতি দিলে আৰু সেইমতে তেওঁ সে হজৰত ইউচুফৰ ওচৰ পালে।

হজৰত ইউচুফে বাদচাহৰ সপোনৰ বিৱৰণ শুনি কলে—'ইয়াৰ অৰ্থ এনেকুৱা যে ৰাজ্যত প্ৰথম সাত বছৰ খুব ভাল ফচল হ'ব। সেই সাত বছৰত সকলোৱে যত্নেৰে খেতি-বাতি কৰি খাই-বৈ যি বাকী থাকে তাক সৰতনে সাঁচি থব লাগে। কাৰণ, তাৰ পিছৰ সাত বছৰত মহা আকাল হব। তেতিয়া এই দুৰ্ভিক্ষৰ কালছোৱাত সঞ্চিত শস্য খাব লাগিব। এই সাত বছৰৰো পিছৰ বছৰটোত আকৌ প্ৰচুৰ পৰিমাণে বৰষুণ হব। সেই সময়ত মানুহে আঙুৰৰ ৰস তৈয়াৰ কৰি লব।'

বাদচাহক সপোনৰ এই ব্যাখ্যা জনোৱা হ'লত তেওঁ বৰ সন্তুষ্ট হ'ল আৰু কাৰাবাসী ইউচুফক তেওঁৰ সমুখলৈ আনিবলৈ আদেশ দিলে। সংবাদক সে হজৰত ইউচুফৰ ওচৰ চপাত তেওঁ এইবাৰ কলে—'তুমি তোমাৰ মালিকৰ ওচৰলৈ গৈ সুধিবা যে বিবিলাক তিৰোতাই মোক দেখি এদিনাখন ফল কাটোঁতে নিজৰ আঙুলি কাটিছিল—তেওঁলোকৰ অভিমত সঁচাকৈ মোৰ সম্পৰ্কে কেনে আছিল। মই সেই কথা জনাৰ পিছতহে যাম।'

সংবাদকে সেইমতে বাদচাহক ক্ৰোধাত বাদচাহে পুনঃ সেই সম্পৰ্কে বিচাৰ চলালে আৰু নগৰৰ নাৰীসকলৰ পৰা হজৰত ইউচুফৰ নিৰ্দোষিতাৰ প্ৰমাণ পালে। এইবাৰ তেওঁ কলে—'ইউচুফক মোৰ ওচৰলৈ আনা। মই তেওঁক মোৰ নিজৰ কৰ্মচাৰী পাতিম।'

হজৰত ইউচুফ আহিলত বাদচাহে তেওঁৰ লগত আলাপ কৰি কলে—তোমাৰ মই আজিৰপৰা সন্মান আৰু বিশ্বাসেৰে গ্ৰহণ কৰিলোঁ। তোমাক মই মোৰ দৰবাৰত উচ্চ পদত অধিষ্ঠিত কৰিম। তোমাৰ [illegible] কামনা কৰা।' (কোৰাণ ১২।৫৫)।

[illegible]

ইফালে [illegible] গৈ [illegible] লগে লগে [illegible] কৰি [illegible] থবলৈ ধৰিলে। প্ৰথম সাত বছৰত [illegible] [illegible] ইউচুফে এই সাত বছৰত দেশৰ [illegible] [illegible] কৰি [illegible] শস্য সঞ্চয় কৰিবলৈ উপদেশ দিলে। পিছৰ সাত বছৰত [illegible] সাঁচিকৈয়ে ঘোৰ আকাল উপস্থিত হ'ল। [illegible] [illegible] সেই ৰাজ্যৰ কোনো লোকে কোনো প্ৰকাৰে অন্নৰ [illegible] [illegible] [illegible]!

সেই সময়ত হজৰত ইয়াকুবে তেওঁৰ [illegible] লগত কানান [illegible] বাস কৰিছিল। কানানতো ঘোৰ দুৰ্ভিক্ষ উপস্থিত হ'ল। [illegible] সকলো ঠাইৰ মানুহে সেই সময়ত মিচৰৰ সঞ্চিত শস্যৰ খবৰ পাই আছিল। তেওঁলোকে দলে দলে আহি মিচৰ দেশত ভিক্ষা কৰি প্ৰাণ প্ৰবৰ্ত্তাবলৈ ধৰিলে। হজৰত ইউচুফৰ ভাই [illegible] কেইজনেও শস্যৰ সন্ধানত আহি মিচৰৰ ৰাজ-দৰবাৰ পালেহি।

হজৰত ইউচুফে তেওঁলোকক দেখি চিনিব পাৰিলে, কিন্তু তেওঁলোকে হলে ৰাজ-পৰিচ্ছদ পৰিধান কৰা ভায়েক ইউচুফক চিনিব নোৱাৰিলে। হজৰত ইউচুফে তেওঁলোকক হেঁপাহ পলুৱাই শস্য-সম্ভাৰ দিলে হয়, কিন্তু তেওঁলোকৰ লগত নিজ সহোদৰ বিন্ ইয়ামিনক নেদেখি তেওঁ কলে—'তোমালোকৰ বৈমাত্ৰেয় ভাই বিন্ ইয়ামিনক ইয়াৰ পিছৰ বাৰ আহোঁতে লগত আনিবাহক। তাকে কৰিলে তোমালোকক আৰু অধিক পৰিমাণে শস্য দিয়া হব; নাহিলে কিন্তু নাপাবা আৰু তোমালোকো নাহিবা।'

তেওঁলোকে কলে—'এই বিষয়ে আমি বাৰু পিতাক বুজাই-বঢ়াই যাত্ৰা কৰাম আৰু বিন্ ইয়ামিনক লগত আনিম।'

হজৰত ইউচুফে তেতিয়া [illegible] কলে—'তোমালোকে [illegible] শস্যৰ মোনাবোৰৰ ভিতৰত তেওঁলোকে দিয়া শস্যৰ মূল্যবোৰ [illegible] ৰাখি দিয়া। তেওঁলোক ঘৰলৈ গৈ [illegible] [illegible] পাব [illegible] আকৌ আহিবলৈ বাধ্য হব।' [illegible] শস্য লৈ ঘৰলৈ উভতিল।

[illegible]

[illegible] তেওঁকো আমাৰ লগত যাবলৈ আপুনি অনুমতি দিব।' আমি তেওঁক নিৰাপদে ৰাখি থাকিম।'

হজৰত ইয়াকুবে কলে—'তোমালোকৰ ওপৰত বিশ্বাস কৰি মই জানো এবাৰ ঠগ খোৱা নাই?' সকলো নীৰৱ হ'ল। ইতিমধ্যে উটৰ পিঠিবপৰা শস্যৰ মোনাবোৰ নমাই আনি সকলোৱে খুলি চাবলৈ ধৰিলে। শস্যৰ মোনাবোৰত তেওঁলোকে দিয়া মূল্যবোৰ পাই তেওঁলোক তেনেই অবাক হ'ল। পিতাকক তেওঁলোকে কলে—'পিতা, ইয়াতকৈ বাক আমি অধিক কি আশা কৰিব পাৰোঁ? চাওক, আমি দিয়া মূল্যবোৰো শস্যৰ লগতে আমাক ঘূৰাই দি পঠাইছে। এনে স্থলত আমি কোষাধ্যক্ষৰ উপদেশমতে যদি আমাৰ ভাই বিন্ ইয়ামিনক তেওঁৰ ওচৰলৈ লৈ নাযাওঁ, তেনেহলে ই কেনে কথা হব? তেওঁক নিলে আমি শস্যও আৰু বেছি পৰিমাণে পাম।'

হজৰত ইয়াকুবে কলে—'তোমালোকে যদি বিন্ ইয়ামিনক সৰ্ব্বতো-প্ৰকাৰে ৰক্ষা কৰি পুনঃ মোৰ ওচৰলৈ ঘূৰাই আনিবলৈ আল্লাৰ নামত শপত খোৱা, তেনেহলে মই তোমালোকৰ লগত তেওঁক পঠাম বাৰু। অৱশ্যে শত্ৰুৰ দ্বাৰা পৰিবেষ্টিত হৈ বাটত কিবা দুৰ্ঘটনা হলে সি অন্য কথা।'

যেতিয়া মহোপুত্ৰই সেইমতে অঙ্গীকাৰ কৰি শপত খালে, তেতিয়া হজৰত ইয়াকুবে কলে—'আমি যি কৈছোঁ সেই সকলোৰে কাৰণে আল্লাৰ ওপৰতেই সৰ্ব্ব-ভাৰসা কৰিলোঁ।'

বিন্ ইয়ামিনক লগত লৈ এইবাৰ আকৌ যেতিয়া দহো-ভাই মিছৰ পালেগৈ, তেতিয়া হজৰত ইউছুফে সহোদৰ বিন্ ইয়ামিনক চিনি পাই মাতি নি নিজৰ ওচৰতে আসনত বহুৱাই ললে আৰু কাণে কাণে কলে—'মই তোমাৰ ককায়েৰা ইউছুফ; তেওঁলোকে যি কৰিছে তাৰ বাবে দুখ নকৰিবা।'

[illegible] এইবাৰ সহোদৰ বিন্ ইয়ামিনক নিজৰ লগতে ৰাখিবৰ কাৰণে তেওঁ [illegible] [illegible]। [illegible] [illegible] বিন্ ইয়ামিনৰ [illegible] মোনাটোত এটা সোণৰ পিয়লা লুকাই ৰখা হ'ল। [illegible]

[illegible]

[illegible]

[illegible]

নিশ্চয় চোৰ! তোমালোকৰ কোনোবাজনে নিশ্চয় আমাৰ বাদচাহৰ সোণৰ পিয়লা চুৰ কৰি আনিছা। পিয়লাটো এইখিনিতে আছিল, এতিয়া নাই। যিয়ে সোণৰ পিয়লাটো উলিয়াই দিব, তেওঁক বাদচাহে এক উটৰ বোজা শস্য-সম্ভাৰ দিয়া হব। মই তাৰবাবে দায়ী থাকিলোঁ।'

ভৃত্যৰ এনে কথা শুনি কনাই-ভাই আচৰিত হৈ [illegible] চুপ লাগি পৰিল। তেওঁলোকে কলে—'আমি আমাৰ মালত [illegible] পাই কৈছো, আমি এই দেশত কাৰো একো অনিষ্ট কৰিবলৈ অহা নাই; আমি চোৰ নহওঁ।'

ভৃত্যই কলে—'সেইটো সত্য বাৰু। পিছে যদি তোমালোকৰ নিচিনীয়া পোৱা যায়, তেনেহলে কি শাস্তি হব?'

তেওঁলোকে কলে—'আমাৰ যাৰ মোনাতে বাদচাহৰ সোণৰ পিয়লা পোৱা যায় তাকে বন্দী কৰি ৰখাটোৱেই উচিত শাস্তি হব। আমি হলে দোষীক এইদৰে শাস্তি দিওঁ।'

তৎক্ষণাৎ মোনাবোৰ এটা এটাকৈ খুলি পিয়লা বিচৰা হ'ল। বিন্ ইয়ামিনৰ মোনাৰ তলিত সোণৰ পিয়লা ওলাই পৰিল। আটায়ে আচৰিত হ'ল। কথা বিষম দেখি তেওঁলোকে তেতিয়া কলে, 'ভাই, এওঁৰ পিতাক এজন বৰ বৃদ্ধ লোক। তেওঁৰ এওঁ চৰমীয়া পুতেক। এওঁক ৰাখিলে পিতাকে অসহনীয় শোক পাব। গতিকে ভাই, তুমি এওঁৰ পৰিৱৰ্তে আমাৰ যিকোনো এজনকে বন্দী কৰি ৰাখা।'

বাদচাহৰ ভৃত্যই কলে—'মই যাৰ মোনাত চুৰি-মাল পাইছো তেওঁক চোৰ বুলি ধৰি নিনি অন্য এজনক তেওঁৰ সলনি নিম—ই কেনে কথা? তাকে কৰিলে মই জানো তেনে অন্যায় আচৰণৰ বাবে পাপত নপৰিম? সেইটো হব নোৱাৰে।'

বিন্ ইয়ামিনক মুক্ত কৰা অসম্ভৱ দেখি ভায়েকহঁতৰ ভিতৰত আলোচনা চলিল। জ্যেষ্ঠ ভ্ৰাতা [illegible] কলে—'পিতাৰ আগত আমি [illegible] কি প্ৰতিশ্ৰুতি দি অহা হৈছে, সেই প্ৰতিশ্ৰুতি ৰক্ষা [illegible] কোনো [illegible] বিন্ ইয়ামিনক [illegible]। [illegible]

তেওঁলোকে সেই পিতাকক কলে—'পিতা, চুৰি কৰা অপৰাধত সেই দেশৰ নিয়ম অনুসাৰে বিন্ ইয়ামিনক চিৰ দাসত্বত দণ্ডিত কৰা হৈছে। ককাই-দেউ কেনানৰ তেওঁৰ লগতেই আছে।'

হজৰত ইয়াকুবে ইয়াৰ আগতে তেওঁৰ প্ৰিয় পুত্ৰ ইউচুফক্ হেৰুৱাইছে। এতিয়া বিন্ ইয়ামিনৰ পৰাও এইদৰে বঞ্চিত হৈ পৰিল। তেওঁ চকুৰে ধুৱঁলী-কুঁৱলী দেখিলে। চকুলোৱে তেওঁৰ দুয়ো চকু টলটলীয়া হ'ল। কোনো-মতে তেওঁলোকৰ উচ্ছ্বাস দমাই স্থিৰে থাকিল। পুতেকহঁতে পুনঃ কলে—'পিতা, আমি অনুভৱ কৰিছোঁ—আপুনি ইউচুফৰ কাৰণে পূৰ্ব্বে যিমান শোক পালেও বিন্ ইয়ামিনৰপৰাও বঞ্চিত হৈ এতিয়া যি গভীৰ শোক পাইছে, সি আপোনাক জীৱনৰ শেষ মুহূৰ্ত্তলৈ কষ্ট দিব, সেইটোও উপলব্ধি কৰিছোঁ। কিন্তু এনে অৱস্থাত আমি কি কৰিব পাৰোঁ।

হজৰত ইয়াকুবে উত্তৰত কলে—'বোপাহঁত, মই মোৰ শোক-দুখ সকলো বিশ্ব-বিধাতা আল্লাৰ ওচৰত নিবেদন কৰিছোঁ; আৰু তেওঁৰ অনুগ্ৰহত মই তোমালোকে নজনা কথাবো গম পাওঁ। (কোঃ ১২।৮৬) তোমালোকে এতিয়া পুনৰ গৈ ইউচুফ আৰু বিন্ ইয়ামিনৰ বিষয়ে পুনঃ আৰু কিছু খা-খবৰ লোৱাগৈ। আল্লাত ভাৰসা ৰাখিবা। কেৱল অবিশ্বাসী পাপীসকলহে আল্লাৰ করুণা সম্পৰ্কে হতাশ হয়।' তেওঁলোক পিতাকৰ উপদেশ শিৰো-ধাৰ্য্য কৰি পুনঃ মিচৰলৈ গ'ল; আৰু হজৰত ইউচুফৰ ওচৰ চাপি তেওঁৰ অনুগ্ৰহ প্ৰাৰ্থী হ'ল। তেওঁলোকে কলে—'হে মহানুভৱ, দুখ-দুৰ্গতিয়ে আমাৰ পৰিয়ালক জুৰুলা কৰিছে। এইবাৰ শস্য কিনিবৰ কাৰণে যথেষ্ট অৰ্থ-সম্বলো আমাৰ লগত নাই। আপুনি, কৃপা কৰিলে, কৰোঁতা নাই। আল্লাই আপোনাক তাৰবাবে পুৰস্কৃত কৰিব।'

হজৰত ইউচুফে তেতিয়া কলে—বাৰু, মোৰ আগত তোমালোক আজি কোনো কথা গোপন নকৰিবা। তোমালোকে তোমালোকৰ ভাই ইউচুফৰ আৰু তেওঁৰ সহোদৰ প্ৰতি একসময়ত কেনে ব্যৱহাৰ কৰিছিলা?

হজৰত ইউচুফৰ প্ৰশ্নত ককাই-ভাই আটাই কেইজনে যেন কিবা এক দুৰ্জ্ঞেয় ৰহস্যহে অনুভৱ কৰিলে। তেওঁলোকৰ জ্ঞান-চকু মেলি খোৱাৰ দৰে হ'ল। তেওঁলোকে তেতিয়া কলে—'তেন্তে তুমিয়েই জানো ইউচুফ নোহোৱা?

'এজন অয়ে ইউচুফ আৰু বিন্‌ইয়ামিনে মোৰ সহোদৰ। আল্লাহৰ কৃপাত আমি বাচি আছোঁ। আল্লাই কেতিয়াও সৎ-পৰায়ণসকলৰ কৰ্মৰ মূল্য নেপেলায়।'—হজৰত ইউচুফে কলে।

এনে পৰিস্থিতিত পৰি তেওঁলোক কেনেই লজ্জিত হ'ল। তেওঁলোকে কলে—'ই নিশ্চয় আল্লাহতালাৰেই অসীম কৰুণা। নহলে আমি তোমাৰ এনে অনুগ্ৰহৰ কোনোমতে যোগ্য নহওঁ। আমি অপৰাধী। ঘোৰ অপৰাধী। আমাক তুমি ক্ষমা কৰা।'।

হজৰত ইউচুফে কলে—'আজিৰ এই শুভ মিলনৰ পবিত্ৰ ক্ষণত তোমালোকৰ ওপৰত মোৰ কোনো প্ৰকাৰ আক্ষেপ নাই। আখেজ নাই। আল্লাই তোমালোকক ক্ষমা কৰক। তেওঁ দয়াবানসকলতকৈও দয়ালু। (কো: ১২।৯২)। মোৰ এই চোলাটো তোমালোকে লৈ গৈ পিতাৰ মুখৰ ওপৰত পেলাই দিবা। দেখিবা তেওঁ পুত্ৰ-শোকত হেৰুৱা চকুৰ দৃষ্টিশক্তি পুনঃ ঘূৰাই পাব। তাৰ পাছত তোমালোক সপৰিয়ালে সকলোটি ইয়ালৈ আহিবা।'

তেওঁলোকে উভতি গৈ হজৰত ইউচুফে দিয়া চোলাটো বৃদ্ধ পিতাক হজৰত ইয়াকুবৰ মুখৰ ওপৰত পেলাই দিলে। হজৰত ইয়াকুবৰ মন প্ৰসন্ন হ'ল আৰু তেওঁ চকুৰ দৃষ্টিশক্তি ঘূৰাই পালে। তেওঁ কলে -'মই তোমা-লোকক কোৱা নাছিলোনে যে তোমালোকে যি কথা জানিবলৈ সক্ষম নোহোৱা, আল্লাৰ অনুগ্ৰহত মই সেইটো জানিব পাৰো?'

তেওঁলোকে কলে—'পিতা, আমি অতীৱ পাতকী। আমাৰ পাপ মোচনৰ কাৰণেও তুমি আল্লাৰ ওচৰত প্ৰাৰ্থনা কৰা।'

পিতাকে তাকে কৰিবলৈ গাত ল'লে। অৱশেষত যেতিয়া পিতা-পুত্ৰ সকলোৱে সদলবলে গৈ মিচৰত উপস্থিত হ'ল তেতিয়া হজৰত ইউচুফে তেওঁৰ পিতা-মাতাক নিজৰ কাষত আসনত বহিবলৈ দিলে। নিজৰ ভায়েক ইউচুফে মিচৰত এনে উচ্চস্থান লাভ কৰা দেখি গৌৰৱত তেওঁ-লোকৰ অন্তৰ ফুলি উঠিল। তাৰপাছত আল্লাৰ ওচৰত সকলোৱে সাষ্টাঙ্গে প্ৰণিপাত জনালে। ইউচুফে তেতিয়া কলে—'পিতা, এয়ে তাহানি মই দেখা সপোনৰ অৰ্থ। দয়াময় আল্লাহতালাই মোৰ সপোন আজি দিঠকত পৰিণত কৰিলে। তেওঁ মোক কাৰাগাৰৰপৰাও মুক্ত কৰিছে। তেওঁৱেই

[illegible] কৰি মোৰ প্ৰতি অসীম করুণা প্রদর্শন কৰিছে। শয়তানে আমাৰ ভাতৃসকলৰ মাজত যি বিৰোধ সৃষ্টি কৰিবলৈ যত্ন কৰিছিল সিও তেওঁৰ করুণাৰ বলতে ব্যৰ্থ হ'ল। তেওঁ মহাজ্ঞানী আৰু ন্যায়-বিচাৰক।'—'হে প্ৰভু! তুমি মোক ৰাজ্য-ঘৰীয়া ক্ষমতা দান কৰিছা। তোমাৰ অসীম করুণাৰ গুণতে মই গূঢ় বিষয়ৰ ৰহস্য উদ্ঘাটন কৰিবলৈও বিশেষ জ্ঞান লাভ কৰিছো। তুমি আকাশ-পৃথিৱী সৰ্বলোকৰ মালিক; ইহলোক-পৰলোক সকলোতে তুমিয়ে আমাৰ ৰক্ষক। মোক যেন তুমি তোমাৰ আত্ম-সমৰ্পণকাৰীৰূপে (মুছলমান হৈ) মৰিবলৈ দি ন্যায়বান সাধুসকলৰ সংগত থাকিবলৈ দিয়া।'

(কোৰাণ ১২।১০১)।

হজৰত মুছা আৰু সম্ৰাট ফেৰাউন

মিছৰৰ বাদচাহসকলৰ উপাধি আছিল ফেৰাউন। ফেৰাউন উপাধিটো মানুহৰ ইমান চিনাকি হৈ পৰিছিল যে শেষত ফেৰাউন বুলিলেই সেই সময়ৰ বাদচাহজনক বুজা গৈছিল। এজন ফেৰাউন ঢুকালে আন এজন সিংহাসনত উঠে। সিংহাসন কেতিয়াও খালি পৰি নাথাকে। ফেৰাউন-সকলৰ উজীৰ বা মন্ত্ৰীসকলো বৰ উপযুক্ত লোক আছিল।

হজৰত মুছাৰ সমসাময়িক যিজন ফেৰাউন আছিল তেওঁৰ মন্ত্ৰীৰ নাম আছিল হামান। মিছৰৰ আদিম অধিবাসীবিলাকে ফেৰাউনকে স্বয়ং আল্লা বুলি ভাবিছিল আৰু সেইমতে তেওঁক পূজা-সেৱা কৰিছিল। ফেৰাউনৰ ক্ষমতাও আছিল অসীম। ফেৰাউনৰ একান্ত বাধ্য এই অধিবাসীসকলক কপ্‌তী নামেৰে জনা গৈছিল।

মিছৰত আৰু এক শ্ৰেণীৰ লোক আছিল, তেওঁলোকক কোৱা হৈছিল বনি ইস্ৰাইল। হজৰত ইয়াকুব ইস্ৰাইল নামেৰেও পৰিচিত আছিল কাৰণে তেওঁৰ বংশধৰবিলাকক বনি ইস্ৰাইল বোলা হৈছিল। হজৰত ইউচুফৰ দিনৰপৰাই হজৰত ইয়াকুবৰ সন্তি-সন্ততিবিলাকে মিছৰত বসতি কৰিবলৈ আৰম্ভ কৰিছিল। সংখ্যাত কম হলেও মিছৰত তেওঁলোকৰ প্ৰতিপত্তি যথেষ্ট আছিল। কপ্‌তী মিছৰবাসীসকলে তেওঁলোকক সমূলি ভাল নাপাইছিল, আৰু ভাল নেপোৱাৰ কাৰণো যথেষ্ট আছিল।

ইস্ৰাইলবংশীসকল আছিল একেশ্বৰবাদী, অৰ্থাৎ এক আল্লাত বাহিৰে আন কাকো কেতিয়াও তেওঁলোকে পূজা-সেৱা নকৰিছিল। কপ্‌তী জাতিবৰে তেওঁলোকে ফেৰাউনক আল্লা বুলি মানিবলৈ আৰু তেওঁৰ পূজা কৰিবলৈ মান্তি নহৈছিল। তাৰেই ফলত তেওঁলোকে ফেৰাউনৰ ৰোষ আৰু নিগ্ৰহত পৰি কঠোৰ জীৱন যাপন কৰিব লাগিছিল। অৱশেষ বনি ইস্ৰাইলে বাসকৰা কাল কঠোৰ লজ্জা হৈছিল। অত্যাচাৰী ফেৰাউনে তেওঁলোকৰ অনেকক ধৰাই নি তেওঁৰ নাহাতে প্ৰাসাদত কাম কৰাইছিল আৰু বান্দি বুলি

পূজা কৰিবলৈও বাধ্য কৰাইছিল। ইস্ৰাইলবংশীসকলক ফেৰাউনে কিন্তু তেওঁলোকৰ পূৰ্ব্ব জন্মস্থান কেনান দেশলৈও উভতি যাবলৈ দিয়া নাছিল।

মিছৰ দেশৰ এনে পৰিস্থিতিত হজৰত মূছাৰ জন্ম আল্লাৰে ধৰ্মাৰ এটি নিদৰ্শন স্বৰূপ। বনি ইস্ৰাইলৰ পৰিত্ৰাণৰ কাৰণেই যেন তেওঁ জন্মগ্ৰহণ কৰিলে। তেওঁৰ জন্ম-কাহিনীও এটি ৰহস্যপূৰ্ণ ঘটনা।

এদিন ফেৰাউনে এটা ভয়াৱহ সপোন দেখিলে। সপোনতে যেন আকাশত সূৰ্য্যতকৈও উজ্জ্বল এটা নক্ষত্ৰ ওলাইছে আৰু তাঁৰে উজ্জ্বলতা সহিব নোৱাৰি ফেৰাউন মূচকচ্ গৈছে; দেশৰ ঠায়ে ঠায়ে সেই নক্ষত্ৰৰপৰা অহা জুইৰ ফিৰিঙতি পৰি জুই জ্বলিছে।

ৰাজদৰবাৰৰ পণ্ডিতসকলক পিছদিনা তেওঁ সপোনৰ কথা বিৱৰি কৈ তাৰ অৰ্থ সুধিলে। পণ্ডিতসকলে কলে—'অচিৰে ইস্ৰাইল বংশত এনে এজন পুৰুষৰ জন্ম হব যিজনে প্ৰভূত ক্ষমতাশালী হৈ পাপৰ ৰাজ্য ধ্বংস কৰিব।

সপোনৰ ব্যাখ্যা শুনি ফেৰাউন খণ্ডত অধৈৰ্য্য হ'ল। তেওঁ পোনেই আদেশ জাৰি কৰিলে যে সেইদিনাৰেপৰা আৰম্ভ কৰি তাৰ পিছৰ পাঁচ বছৰত মিছৰ দেশৰ ইস্ৰাইলবংশীসকলৰ ঘৰত যিমান পুত্ৰ সন্তান জন্মিব, সেই সকলোবোৰকে নীল নদীত পেলাই দি বধ কৰিব লাগিব। ফেৰাউনৰ এই নিঠুৰ আদেশৰ ফলত অলপ দিনৰ ভিতৰতে ইস্ৰাইল বংশৰ কিমান নিৰপৰাধী শিশুৱে নীলনদীৰ বুকুত সলিল-সমাধি লভিলে তাৰ সীমা-সংখ্যা নাই।"

'এনে বিপদসঙ্কুল অৱস্থাত, কোনো এক শুভ মুহূৰ্ত্তত হজৰত মূছাৰ জন্ম হয়। তেওঁ এটা অখ্যাত ইস্ৰাইল পৰিয়ালত জন্মগ্ৰহণ কৰে। জন্মাৰ পাছতেই তেওঁৰ মাতৃৰ প্ৰতি আল্লাৰ প্ৰত্যাদেশ হ'ল—'যেতিয়া তুমি এই শিশুৰ জীৱন বিপন্ন বুলি ভাবা তেতিয়া তৎক্ষণাৎ তাক এটা পেৰাত ভৰাই নীল নদীত উটুৱাই দিবা। তাৰবাবে তুমি অকণো চিন্তা নকৰিবা। শোক নকৰিবা। মই তাক ৰক্ষা কৰিম।' (কোঃ ২৮।৭)

মাকে মৰমতে শিশুটিক কিছুকাল যতনেৰে ৰক্ষা কৰি লুকাই ৰাখিলে। এইদৰে তিনিমাহ হৈ গ'ল। ফেৰাউনৰ চোৰাংচোৱাই ইফালে ইস্ৰাইলবংশত জন্মা কেঁচুৱা ল'বা বিচাৰি ঘৰে ঘৰে চলাথ কৰি ঘূৰিছে। চোৰাংচোৱাৰ হাতত পৰিব বুলি ভোমাৰ ভয়ত এদিন তেওঁ কাঠৰ পেৰা এটাত ভৰাই কেঁচুৱাটোক

নীল নদীত উটুৱাই দিলে! পেৰাটো নৈৰ সোঁতত উটি গৈ কেইডালমান নল বনত লাগি থাকিল।

নীল নদীৰ পাৰতেই আছিল মহা প্ৰতাপী ফেৰাউনৰ ৰাজপ্ৰাসাদ। পানীৰ সোঁতেও পেৰাটো উটুৱাই নি সেই ৰাজ-প্ৰাসাদৰে দাঁতিত পাৰী-খুঁটীত ৰাখিছিল। মুছাৰ মাকে কেঁচুৱাটোক পানীত উটুৱাই দিয়াৰ সময়ত তাৰ নো কত কি হয় তাকে কিছু দূৰলৈ চাই যাবৰ কাৰণে জীয়েক মৰ্য়মক নদীৰ পাৰে পাৰে গৈ থাকিবলৈ দিছিল। মৰ্য়মেও কেঁচুৱা ভায়েক মুছাৰ স্নেহত মাকৰ কথামতে কাম কৰিছিল।

দৈৱাৎ ফেৰাউনৰ কোনোবা কৰ্মচাৰীয়ে সেই উটি যোৱা পেৰাটো দেখি পাৰলৈ তুলি আনিলে আৰু তাৰ ভিতৰত কেঁচুৱাৰ কান্দোন শুনিবলৈ পাই পেৰাটো পোনেপোনেই ৰাজপ্ৰাসাদলৈ লৈ গ'ল। ফেৰাউনৰ পত্নী সেই সময়ত নিসন্তান আছিল। তেওঁ ততালিকে ওলাই পেৰাটো খোলালে আৰু তাৰ ভিতৰত থকা উজ্জল শিশুটি দেখি তেনেই মুগ্ধ হ'ল। শিশুটোক লালন-পালন কৰিবৰ কাৰণে তেওঁৰ অন্তৰ ব্যাকুল হৈ পৰিল। তেওঁ কলে— 'ইয়াক মৰিবলৈ দিব নোৱাৰি। কোনেও ইয়াক নামাৰিবা। ই আমাৰ উপকাৰত আহিব। আমি হয়তো ইয়াক পুত্ৰৰূপে তুলি-তালি লম।' এই বুলি তেওঁ এজনী ধাই-মাকৰ কোলাত কেঁচুৱাটি দিলে। আচৰিত কথা… কেঁচুৱাটোৱে কিন্তু কাৰো স্তন্য পান নকৰিলে আৰু কান্দিবলৈও নেৰিলে। তেতিয়া মৰ্য়মে সাহ কৰি ওচৰ চাপি কলে যে তাইৰ মাক এজনী বিচক্ষণ ধাত্ৰী। তেতিয়া-তেতিয়াই মৰ্য়মৰ মাকক বিচাৰি অনোৱা হ'ল। সকলোৱে দেখি আচৰিত হ'ল যে শিশুটিক তেওঁৰ কোলাত দিয়া মাত্ৰকতে সি কান্দিবলৈ এৰিলে আৰু হৃষ্ট-চিত্তে তেওঁৰ স্তন-দুগ্ধ পান কৰিবলৈ ধৰিলে। মাতৃয়েই শিশুৰ ধাত্ৰী হৈ পৰিল। আল্লাৰ তেওঁৰ প্ৰতি হোৱা প্ৰত্যাদেশ আখৰে আখৰে ফলিল।

এইদৰে দিন যাবলৈ ধৰিলে। মুছা ফেৰাউনৰ ঘৰতে ডাঙৰ-দীঘল হ'ল। মতি-গতি, চাল-চলন, ভাব-ভঙ্গী আদিত কিন্তু তেওঁৰ গাত এজন প্ৰকৃত ইস্ৰাইলবংশৰ গুণ ফুটি ওলাবলৈ ধৰিলে। কপ্তীসকলৰ অহঙ্কাৰ আৰু নিৰ্দোষী ইস্ৰাইলসকলৰ ওপৰত তেওঁলোকৰ কৰা নিষ্ঠুৰ ব্যৱহাৰে তেওঁক অস্থিৰ কৰি তুলিলে।

তেওঁ ৰাজসভা এদিন মুছাই দেখিবলৈ পালে যে কপ্‌তী চৰ্দাৰ এজনে নিৰ্দোষী ইস্ৰাইল এটাক নিষ্ঠুৰভাৱে প্ৰহাৰ কৰিব লাগিছে। ঘটনাটো দেখি তেওঁৰ অন্তৰ বিদ্ৰোহী হৈ উঠিল। নানা প্ৰকাৰে কৈ-মেলিও কপ্‌তী চৰ্দাৰজনক তেওঁ বিৰত কৰিব নোৱাৰি ইস্ৰাইলটোক একৰাৱলৈ নিজ হাতেৰে সেই চৰ্দাৰজনক ক্ৰুদ্ধভাৱে প্ৰহাৰ শোধালে। আচৰিত কথা, তেওঁৰ সাধাৰণ মাৰ এটাতে সৰ্দাৰ মাটিত মূৰ্চ্ছা গৈ পৰিল আৰু ভূপতিত হোৱাই নহয়, থিতাতে মৰি থাকিল।

কপ্‌তী চৰ্দাৰ এইদৰে নিহত হোৱাৰ বাতৰি দেশত বিয়পি পৰিল। লাহে লাহে ই গৈ ফেৰাউনৰ কাণতো নপৰাকৈ নাথাকিল। ফেৰাউনে মুছাক ধৰি নিবলৈ আদেশ দিলে।

হজৰত মুছা সেই সময়ত ৰাজপ্ৰাসাদৰপৰা কিছু দূৰত আছিল। কোনো এজন লোকে (ফিৰিস্তাই) দৌৰি আহি তেতিয়া তেওঁক কলে—'মুছা, দৰবাৰৰ প্ৰধান বিষয়াসকলে আৰু ফেৰাউনে বিচাৰ কৰি সিদ্ধান্ত কৰিছে যে কপ্‌তী চৰ্দাৰক হত্যা কৰা অপৰাধত তোমাক প্ৰাণ-দণ্ড দিয়া হব। তুমি তুৰন্তে এই ঠাই ত্যাগ কৰা। মই তোমাৰ হিতাকাঙ্ক্ষী আৰু সৎ-পৰামৰ্শদাতা।' হজৰত মুছাই তৎক্ষণাৎ সেই ঠাই এৰিলে আৰু কেইবা দিনৰ পাছত মিডিয়া ৰাজ্য পালেগৈ। মিডিয়াত তেওঁ ভালেমান দিন থাকিল।

মিডিয়াত সেই সময়ত হজৰত শো-আইব নামে এজনা পয়গম্বৰ আছিল। তেওঁৰ কেইবাগৰাকীও জীয়েক আছিল। এদিন সিহঁতৰ দুজনীয়ে ভেৰাৰ কাৰণে পানী আনিবলৈ নাৰ এটালৈ গৈ নাৰৰপৰা অলপ দূৰত থিয় হৈ আছিল, কাৰণ সেই সময়ত অনেক ভেৰাৰখীয়াই নাৰৰপৰা পানী তুলি আছিল। সিহঁতে ছোৱালী দুজনীক সহায় কৰা দূৰৰ কথা, সিহঁতক নানা প্ৰকাৰে ঠাট্টা-মস্কৰাহে কৰিছিল। এনে সময়ত হজৰত মুছা সেই পিনেদি যাওঁতে ছোৱালী দুজনীক তেনেকৈ মন মাৰি থিয় হৈ থকা দেখি—'তোমালোকৰ কি হৈছে' বুলি তেওঁ সুধিলে। ছোৱালী দুজনীয়ে তেতিয়া কলে—'আমাৰ পিতা আমাৰ বুঢ়া লোক। এতেওঁ আমাক ভেৰা ৰখিবলৈ দিছে। এই ভেৰা-ৰখীয়া লখাৰবোৰে আমাক আমাৰ ভেৰাৰ কাৰণে পানী তুলিবলৈ নিদিয়ে। আমি সেইকাৰণে ইয়াতে ৰৈ আছোঁ।'

হজৰত মুছাৰ কোমল অন্তৰত দয়া উপজিল। তেওঁ নিজে সিহঁতক নাদৰপৰা পানী তুলি দি সহায় কৰিলে আৰু তাৰ পাছত এজোপা গছৰ তললৈ গৈ গছৰ ছাঁত জিৰণিৰ কাৰণে বহিল।

ছোৱালী দুজনীয়ে ভেৰাক পানী খুৱাই ঘৰলৈ গ'ল আৰু ঘৰ পাই হজৰত খো-আইবক সেই দয়ালু যুৱকজনৰ কথা কলে। তেওঁ ঘটনাটো শুনি ততালিকে সেই দুজনী জীয়েকৰ এজনীক যুৱকজনক মাতিবলৈ পঠালে। ছোৱালীজনীয়েও গৈ লাজকুৰীয়াভাৱে যুৱকক কলে—'আপুনি আমাক নাদৰপৰা পানী তুলি দি সহায় কৰাৰ কাৰণে পিতাই আপোনাক পুৰস্কাৰ দিবলৈ মাতিছে। আপুনি মোৰ লগতে অনুগ্ৰহ কৰি আমাৰ ঘৰলৈ এবাৰ আহক।' হজৰত মুছা গ'ল।

হজৰত খো-আইব আৰু হজৰত মুছাৰ মাজত কথা-বতৰা হ'ল। হজৰত খো-আইবে মুছাৰ সকলো কথা শুনি তেওঁক আশ্রয় দি ৰাখিলে। সুখে-সন্তোষে দিনবোৰ যাবলৈ ধৰিলে।

কিছুদিনৰ পাছত এদিন হজৰত খো-আইবে মুছাক কলে—'মই তোমাৰ গুণত মুগ্ধ হৈছোঁ। তুমি মোৰ যি দুজনী ছোৱালীক এদিন নাদৰপৰা পানী তুলি দি সহায় কৰিছিলা তাৰে এজনীক মই তোমালৈ বিয়া দিব খোজোঁ। বিয়াৰ এয়ে মাত্র চৰ্ত হব যে তুমি আঠ বছৰ কাল মোৰ ঘৰত থাকি আমাক ভেৰা-বখা আৰু ঘৰৰ অন্যান্য কামত সহায় কৰিব লাগিব।' মুছাই চৰ্ত মানি ললে আৰু চফুৰা বিবি নামৰ ছোৱালীজনীক বিয়া কৰিলে।

নির্দিষ্ট কাল উকলি গ'লত মুছাই তেওঁৰ ভাৰ্য্যাক লগত লৈ মাতৃ-মুখ দৰ্শনৰ অভিপ্ৰায়ে এদিন মিছৰ দেশলৈ যাত্রা কৰিলে। তেওঁলোকে মিছৰৰ পথ হেৰুৱাই অনাই-বনাই ঘূৰি খোৰা নামে ঠাইডোখৰত উপস্থিত হ'ল।

তেতিয়া আছিল শীতকাল। ৰাতি হৰ ভাৰ পৰিছিল। তাতে মেঘৰ গৰ্জন, বিজুলীৰ চিকি-মিকি আৰু অলপ কিনকিনীয়া বৰষুণো আছিল। বাটৰ দাঁতিত আশ্রয় লবলৈ কতো কাৰো ঘৰ-দুৱাৰো নাছিল। নিঃসহায় নিৰুপায়ভাৱে দুয়োটা প্ৰাণী অন্ধকাৰ ভেদ কৰি বাটে বাটে গৈ আছিল। শীতত কাতৰ হৈ দুয়ো ক্লান্তভাৱে জুইৰ কাৰণে চাৰিওফালে চাবলৈ ধৰিলে। কিন্তু ওচৰত কতো একো নেদেখিলে।

অলপ দূৰত অলপ পোহৰ যেন দেখি মুছাই তাইক ক'লে— 'মই পাহাৰত জুই দেখিবলৈ পাইছোঁ। তুমি ইয়াতে খন্তেক ৰোৱা। মই তাৰ পৰা অলপ জুই আনোগৈ। ইয়াতে ভালকৈ একুৰা জুই ধৰি লৈ দুয়ো শীত নিবাৰণ কৰিম। বিবি চফুৰা তাগৰত লালকাল হৈছিল। তেওঁ স্বামীৰ শীঘ্ৰে জুই আনিবলৈ কৈ বহি পৰিল।

পাহাৰৰ এচৰ চপাত মুছাই উপত্যকাৰ দক্ষিণ ফালৰ কোনো এটা বৃক্ষ-কুঞ্জৰ পৰা আৱাজ এটা অহা শুনিবলৈ পালে। তাতে যেন বাজি উঠিল— 'ময়েই তোমাৰ প্ৰভু, বিশ্বৰ ঈশ্বৰ, আল্লা। তুমি এতিয়া পবিত্ৰ উপত্যকা তোৱাৰ উপকণ্ঠত আছা। জোতা খুলি থোৱা।' মুছাই মন্ত্ৰমুগ্ধৰ দৰে তাকে কৰিলে। তেতিয়া আল্লাই তেওঁক নবীত্বেৰে ভূষিত কৰি আদেশ দিলে,— 'তোমাক আজিৰ পৰা পয়গম্বৰ নিযুক্ত কৰা হ'ল। সত্য কৰি কৈছোঁ ময়েই আল্লা আৰু মোত বাহিৰে তোমাৰ আৰু কোনো উপাস্য নাই (কোঃ ২০।১৪)

মুছাই হতভম্বৰ দৰে ভাবি থাকোঁতে পুনঃ প্ৰশ্ন হ'ল—'মুছা, তোমাৰ সোঁহাতত সেইয়া কি?' মুছাই উত্তৰ দিলে—'এইডাল মোৰ হাতৰ সাৰথি লাঠি। মই ইয়াৰ ওপৰত ভিৰ দি চলোঁ। আৱশ্যক হলে ইয়াৰেই গছৰ পাত পাৰি আনি ভেৰাক দিওঁ। অন্য অনেক কামত ই মোৰ সখা-স্বৰূপ।'

পুনঃ আদেশ হ'ল— 'মুছা, মাটিৰ ওপৰত তোমাৰ লাঠীডাল পেলাই থোৱাচোন।' মুছাই তাকে কৰিলে। হঠাৎ লাঠীডাল সাপত পৰিণত হৈ বগৰা-বাই যাবলৈ ধৰিলে।

'মুছা, সাপটো ধৰাচোন; ভয় নকৰিবা। ই আকৌ পূৰ্বৰ অৱস্থা পাব।' মুছাই সাপটো ধৰিলে। সি সঁচাকৈয়ে লাঠীত পৰিণত হ'ল।

আকৌ আদেশ হ'ল—'তোমাৰ হাতখন কাষলতিৰ তলত হেঁচি ধৰাচোন। ই আপোনা-আপুনি উজ্জ্বল জ্যোতিৰ্পূৰ্ণ শুভ্ৰ বৰ্ণ ধাৰণ কৰিব। ই তোমাৰ নবীৰ সাক্ষ্য, অন্যতম নিদৰ্শন হব।' মুছাই কাষলতিৰ তলত হাতখন অলপ সময় ৰাখি উলিয়াই আচৰিত দেখিবলৈ পালে যে তেওঁৰ হাতখনে সঁচাকৈয়ে জ্যোতিৰ্পূৰ্ণ শুভ্ৰবৰ্ণ ধাৰণ কৰিছে। তেওঁ তেতিয়া শুনিবলৈ পালে—'ইয়াতকৈ তোমাক আৰু অধিক কি প্ৰমাণ লাগে?' (কোঃ ২০।২২-২৩)।

ইয়াৰ পাছত আদেশ হ'ল—'মুছা, মিছৰীয়সকলে বনি-ইস্ৰাইলৰ ওপৰত অকথ্য অত্যাচাৰ কৰিব লাগিছে। তুমি তেওঁলোকক [illegible] কেনান দেশলৈ লৈ যোৱাগৈ। অত্যাচাৰী ফেৰাউনৰ হাতৰপৰা তেওঁ-লোকক উদ্ধাৰ কৰাৰ ভাৰ তোমাৰ ওপৰত ন্যস্ত কৰা হ'ল। তুমি শীঘ্ৰে এই আদেশ পালন কৰিবা আৰু কেনান দেশত ধৰ্মৰ বাণী প্ৰচাৰ কৰিবাগৈ।'

মুছাই কলে—'প্ৰভু, মই সেই কাম কৰিবলৈ প্ৰস্তুত। কিন্তু, অত্যাচাৰী ফেৰাউনে জানো মোৰ কথা শুনিব? তেওঁক প্ৰত্যয় যোৱাব পৰা ভাষা-বলো মোৰ নাই। তেওঁৰ ওচৰলৈ গৈ তোমাৰ আদেশ প্ৰচাৰ কৰিবলৈ মোক যুকুত বল দিয়া। এই কাৰ্য্যৰ কাৰণে মোৰ অগ্ৰজ হাৰুণকো মোৰ লগ লগাই দিয়া। আমি দুয়ো তোমাৰ মহিমা প্ৰচাৰ কৰিব পাৰিম। হাৰুণৰ বাক্‌শক্তিও প্ৰশংসনীয়।'

প্ৰত্যুত্তৰত আদেশ হ'ল—'মুছা, তোমাৰ প্ৰাৰ্থনা গৃহীত হৈছে। তোমা-লোকে অকণো ভয় নকৰিবা। উভয়ে গৈ ফেৰাউনৰ ওচৰত নিদৰ্শন সহ প্ৰচাৰ কৰিবা—তোমালোক বিশ্বপ্ৰভুৰ প্ৰেৰিত ৰচুল।'

এইখিনিতে কৈ থোৱা ভাল যে মিছৰত মুছাৰ ককায়েক এজন আছিল, নাম হাৰুণ; আল্লাৰপৰা নিদৰ্শন আৰু প্ৰত্যাদেশ লাভ কৰি হজৰত মুছা পত্নীসহ পুনঃ মিছৰলৈ যাত্ৰা কৰিলে। কোৱা বাহুল্য যে আল্লাৰ আদেশ মতে হাৰুণে মুছাক বাটত মৰুভূমিৰ মাজতে দেখা কৰি-লেহি আৰু যি মহৎ কাৰ্য্যৰ কাৰণে আল্লাই মুছাক নিয়োগ কৰিছিল সেই বিষয়ে আল্লাৰ বাণী জনালে। হাৰুণে প্ৰত্যয় যাচিলে।

মিছৰ পাই দুয়ো পৰামৰ্শ কৰি ৰাজসভাত ফেৰাউনৰ ওচৰলৈ গ'ল। হজৰত মুছাই ফেৰাউনক সম্বোধন কৰি কলে, 'হে ফেৰাউন, আল্লাই মোক ৰচুল পাতিছে। তোমাৰ গতিবিধি সংশোধন কৰি আল্লাত দেহ-মন সমৰ্পণ কৰিবৰ কাৰণে তোমাক অনুৰোধ কৰিবলৈ আৰু ইস্ৰাইল-সকলক তোমাৰ নিষ্ঠুৰ উৎপীড়নৰপৰা ৰক্ষা কৰিবলৈ আল্লাই মোক প্ৰেৰণ কৰিছে। মোৰ লগত ওলাই যাবলৈ তেওঁলোকক অনুমতি দান কৰা।'

ফেৰাউনে উপহাস কৰি কলে—'মোৰ আশ্ৰয়ত থাকি ডাঙৰ-দীঘল হোৱা তুমিয়ে জানো সেই মুছা নোহোৱা? তোমাৰ ইমান সাহস হ'লকৈ?

মুছাই কলে—'হয় ফেৰাউন, তুমি মোক প্ৰতিপালন কৰিছিলা সঁচা। তাৰবাবে মই তোমাৰ ওচৰত কৃতজ্ঞ। মই আজি তোমাতকৈও যিজন মহান তেওঁৰ আদেশতহে ইয়ালৈ আহিছোঁ। তেওঁৰ আদেশ গ্ৰহণ কৰি তুমিও উপকৃত হোৱা।'

ফেৰাউনে কলে 'তুমি যে আল্লাৰ ওচৰৰপৰা আল্লাৰ আদেশ লৈ ইয়ালৈ আহিছা—তাৰ জানো কিবা প্ৰমাণ আছে?'

মুছাই প্ৰত্যুত্তৰত তেওঁৰ জ্যোতিপূৰ্ণ শুভ্ৰ হাতখন আৰু অলৌকিক শক্তিসম্পন্ন হাতৰ লাঠীডাল দেখুৱালে। ফেৰাউনে তেওঁৰ প্ৰধান মন্ত্ৰী হামানৰ লগত পৰামৰ্শ কৰি ঠাৱৰ কৰিলে যে মুছাই নিশ্চয় কোনোবা বিচক্ষণ যাদুকৰৰপৰা যাদুবিদ্যা শিকি আহিছে। গতিকে দেশৰ বিখ্যাত যাদুকৰবিলাকৰ লগত যুঁজ লগাই দিলেহে তাৰ প্ৰমাণ ওলাব। যোগ্যক যোগ্যজনৰ লগতহে যুঁজাব লাগে।

ফেৰাউনে ৰাজ্যৰ বিখ্যাত যাদুকৰবিলাকক মতাই অনালে। মুছাই তেওঁলোকক কলে- 'তোমালোকে মোৰ বিৰুদ্ধে যি যাদুশক্তি প্ৰয়োগ কৰিব খুজিছা, কৰিব পাৰা। মই তাৰ বাবে সম্পূৰ্ণ প্ৰস্তুত। আৰম্ভ কৰা।'

যাদুকৰবোৰে নিজৰ নিজৰ যাদুকৰা লাঠী আৰু ৰচি মাটিত পেলাই দিলত অসংখ্য সাপ ওলাল। মুছায়ো তেতিয়া নিজৰ লাঠীডাল মাটিত পেলাই দিলত সি এটা প্ৰকাণ্ড অজগৰ সাপত পৰিণত হ'ল, আৰু অন্য সাপবোৰ ধৰি ধৰি খাবলৈ ধৰিলে। এইদৰে যাদুকৰবোৰৰ সকলো যাদু ব্যৰ্থ হ'লত হজৰত মুছালৈ সকলোৱে তধা লাগি চাই ৰ'ল। হজৰত মুছাই তেতিয়া আল্লাৰ অদ্বিতীয়তা আৰু অসীম শক্তিৰ কথা প্ৰচাৰ কৰাত যাদুকৰসকলে তেওঁৰ বাণী গ্ৰহণ কৰি আল্লাহতালাৰ উদ্দেশ্যে প্ৰণত হৈ কলে 'আমি সকলোৱে মুছা আৰু হাৰুণে প্ৰচাৰ কৰাৰ দৰে জগতৰ প্ৰতি-পালক সৰ্বশক্তিমান এক আল্লাত ঈমান আনিলোঁ, অৰ্থাৎ বিশ্বাস স্থাপন কৰিলোঁ।' (কোৰ: ২০।৭০)।

কাণ্ড-কাৰখানা দেখি ফেৰাউন ক্ৰোধত জ্বলি উঠিল। তেওঁ কৈ উঠিল —পাপী, ষড়যন্ত্ৰকাৰী, [illegible] আৰু [illegible] যে তোমালোকে মোৰ অনুমতি নোলোৱাকৈয়ে মুছা আৰু হাৰুণৰ আল্লাত তোমালোকেই বিশ্বাস স্থাপন কৰিলি? [illegible]।

যাদুকৰবিলাকে ক'লে—'আপুনি আমাৰ কৰা সঁচা; কিন্তু আমি এতিয়া উপলব্ধি কৰিব পাৰিছোঁ যে আকাশ-পাতালত শ্ৰেষ্ঠ কৰা একেজন আছে যি তেওঁৱেই আল্লা; তেওঁৰ বাহিৰে আৰু কোনো নাই। আমি তেওঁতে বিশ্বাস স্থাপন কৰিছোঁ।'

ফেৰাউনে যাদুকৰবিলাকক প্ৰাণদণ্ড দিলে। এনেকৈ সেইদৰে কথিত আছে যে ফেৰাউনৰ পত্নী ৰাণী আছিয়াকো মূছাই প্ৰচাৰ কৰা ধৰ্মত বিশ্বাস প্ৰদৰ্শন কৰাত তেওঁকো ফেৰাউনে প্ৰাণদণ্ড দিছিল।

ইয়াৰ পাছত ইস্ৰাইলসকলৰ ওপৰত ফেৰাউনৰ উৎপীড়ন আৰু বাঢ়িল। হজৰত মূছাক হত্যা কৰিবলৈও তেওঁ দৃঢ়সংকল্প হ'ল। যেতিয়া অত্যাচাৰ-উৎপীড়নৰ সীমা নাইকিয়া হ'ল, তেতিয়া এদিন হজৰত মূছাৰ প্ৰতি আল্লাৰ প্ৰত্যাদেশ হ'ল—'মূছা, তুমি ৰাতিৰ ঘোৰ অন্ধকাৰত ইস্ৰাইলসকলক লৈ মিছৰৰ পৰা ওলাই লোহিত সাগৰৰ পাৰলৈ যোৱা। ফেৰাউনে তোমালোকৰ পশ্চাদনুসৰণ কৰিব; তালৈ ভ্ৰূক্ষেপ নকৰিবা।' (কোঃ ২০।৭৭)

সেইমতে হজৰত মূছাই ইস্ৰাইলসকলক লৈ লোহিত সাগৰৰ অভিমুখে যাত্ৰা কৰিলে। ৰাতি পুৱালত ইস্ৰাইলসকলৰ পলায়নৰ বাতৰি পাই ফেৰাউনে সৈন্য-সামন্ত লৈ তেওঁলোকৰ পাছে পাছে খেদি গ'ল। ফেৰাউনৰ সৈন্য-বাহিনী ওচৰ চপাত ইস্ৰাইলসকলৰ মনত ঘোৰ ভয় উপজিল। হজৰত মূছাই তেওঁলোকক নিৰ্ভয় দিবলৈ ধৰিলে। (কোঃ ২৬।৬১-৬২)

এনে সময়তে মূছাৰ প্ৰতি প্ৰত্যাদেশ হ'ল—'মূছা, তোমাৰ লাঠিৰে সাগৰত আঘাত কৰা; সাগৰে তোমালোকক বাট এৰি দিব। সেই বাট অৱলম্বন কৰিবা। ভয় নকৰিবা।'

হজৰত মূছাই সাগৰত তেওঁৰ লাঠিৰে আঘাত কৰিলত তীৱৰ আস্ফালন কৰি সাগৰ দুভাগ হ'ল। মাজেদি আজিৰ বাটৰ দৰে শুকান ভূমি ওলাল। হজৰত মূছাই ইস্ৰাইলসকলক লৈ সেই বাটেৰে নিৰ্বিঘ্নে লোহিত সাগৰ পাৰ হ'ল।

তেওঁলোকৰ পশ্চাদনুসৰণ কৰা ফেৰাউন সৈন্য-বাহিনীয়ে সেই সময়ত সেই বাটেদি লৈ লোহিত সাগৰৰ মাজভাগ পাইছিল। ইস্ৰাইলসকলে পাৰ [illegible] [illegible] [illegible] আকাশ [illegible] ভাগি আহি মগ্ন হ'ল। ফেৰাউন [illegible] প্ৰাণত মিচিক হ'ল। (কোঃ [illegible])।

ইস্ৰাইলসকলক লৈ হজৰত মূছা মৰুভূমিৰ মাজেদি আগ বাঢ়িবলৈ ধৰিলে। জলহীন মৰুভূমিৰ মাজেদি অবিৰাম ভ্ৰমণ কৰি থাকোঁতে তেওঁলোকসকলোৰে কণ্ঠ-কণ্ঠ শুকাই গ'ল। হজৰত মূছাই এই বিপদত পুনঃ আল্লাহতালাৰ ওচৰত প্ৰাৰ্থনা জনালে।

সন্ধ্যা ওচৰ চাপি আহিল। লগে লগে তেওঁলোকৰ জিৰণিৰ কাৰণে তম্বুৰ ব্যৱস্থা হ'ল। তেতিয়া তম্বুৰ আশে-পাশে জাকে জাকে এবিধ চৰাই উৰি ফুৰিবলৈ ধৰিলে। এই চৰাইক মৰুভূমিত চালৱা চৰাই নামে জনা যায়। ইস্ৰাইলসকলে এই চৰাই ধৰি তাৰ মঙহ হেপাহ পলুৱাই খালে।

আকৌ ৰাতি পুৱালত ধনীয়া গুটিৰ দৰে এবিধ সুস্বাদু ফল তম্বুৰ চাৰিওফালে ওলাল। এইবোৰৰপৰা মান্না নামে সুমিষ্ট পিঠা তৈয়াৰ কৰি সকলোৱে জগাই খালে। এইদৰে তেওঁলোকৰ ভোক পলাল। কিন্তু পিয়াহ পলাই যাবলৈ তেওঁলোকে যথেষ্ট পৰিমাণে পানী নাপাই হজৰত মূছাৰ ওচৰত পুনঃ আপত্তি কৰিলে। হজৰতে প্ৰাৰ্থনাত খোদাৰ ওচৰত এই বিষয়ে আবেদন জনালে। তেওঁৰ প্ৰাৰ্থনাৰ উত্তৰত এইবাৰ আকাশ-বাণী হ'ল—'তোমাৰ লাঠীৰ দ্বাৰা তুমি পাহাৰত আঘাত কৰিলেই পানী ওলাব।'

হজৰত মূছা ওচৰৰ পাহাৰ এখনলৈ গৈ তাতে শিল এটাৰ ওপৰত প্ৰহাৰ কৰিলে আৰু তাৰপৰা নিজৰা এটি বাহিৰ হ'ল। বাৰটা আঘাতত সুনিৰ্মল জলৰ বাৰটি নিজৰা এইদৰে শিলৰ বুকু ভেদ কৰি ওলাল। হজৰত মূছাৰ সঙ্গী ইস্ৰাইলসকলে সেই নিজৰাবোৰৰ পানী পিয়াহ পলুৱাই খালে। (কোঃ ২।৬০)।

মিছৰ পৰিত্যাগৰ তিনি মাহৰ অন্তত হজৰত মূছাই ৭০ জন ইস্ৰাইলক লগত লৈ তুৰ (ছিনাই) নামে পৰ্বতত উঠিলগৈ। তাতে তেওঁলোকে মেঘৰ গম্ভীৰ ধ্বনিত উচ্চাৰিত হোৱা শুনিবলৈ পালে—'মঞেই তোমালোকৰ প্ৰভু। মঞে তোমালোকৰ প্ৰবক্তা। মঞে তোমালোকক মিছৰৰপৰা নিৰাপদে আনিছোঁ।'

মানুহবোৰে ক'লে কাকো দেখিবলৈ নাপাই হজৰত মূছাক ক'লে—'ক'তা, খোদাতালাক দেখোন আমি কোনেও দেখিবলৈ পোৱা নাই। আকাশৰপৰা কোনে কেনেকৈ কথা কৈছে? চকুৰে নেদেখিলে তেওঁৰ অস্তিত্বত আমি বিশ্বাস স্থাপিব নোৱাৰোঁ।'

তেতিয়া বজ্ৰৰ ধ্বনিৰ দৰে গুৰু-গম্ভীৰ শব্দ হ'ল আৰু থৰ্‌থৰকৈ ভিতৰত পৃথিৱী কঁপাই ভীষণ ভূমিকম্প আহিল। সেই ভূমিকম্পৰ আঘাতত আৰু জ্যোকাৰণিত সকলোবোৰ সংজ্ঞাহীন হৈ পৰি গ'ল। তাৰ পাছত ভূমিকম্প থমাৰ বহুত পৰৰ অন্তত সকলোৱে পুনৰ চেতনা পালে। ইয়াক আল্লাৰ অপৰিসীম শক্তিৰ এটি ক্ষুদ্ৰ ইংগিত মাত্ৰ সকলোৱে পালে। (কোঃ ২।৫৫)।

অন্য সময়ত এবাৰ হজৰত মূছাই তেওঁৰ অনুগামীসকলক [illegible] হাকণৰ ওপৰত এৰি তুৰা পৰ্ব্বতত আৰোহণ কৰি [illegible] ৪০ দিন তাত ৰোজা ব্ৰত পালনৰ দ্বাৰা নীৰৱ সাধনাত লিপ্ত আছিল। সেই সময়ত তেওঁ আল্লাক এবাৰ প্ৰত্যক্ষভাৱে দেখা দিবলৈ প্ৰাৰ্থনা জনালে। তাৰ উত্তৰত প্ৰত্যাদেশ হ'ল—'তুমি মোক দেখিবলৈ নোপোৱা, মূছা। সৌ পাহাৰখনৰ ফালে চোৱা। মই তাতে প্ৰকাশিত হম। পাহাৰে যদি মোৰ প্ৰকাশমান অৱস্থা বহন কৰি স্থিৰে থাকিব পাৰে, তেনেহলে তুমি মোক তাত পাবা; নহলে অসম্ভৱ।' (কোঃ ৭।১৪২-১৪৩)।

খন্তেক পাছতে কিবা এক অপূৰ্ব্ব জ্যোতিয়ে পাহাৰখন উদ্ভাসিত কৰা যেন দেখা গ'ল। সেই জ্যোতি ক্ৰমে উজ্জ্বলতকৈও উজ্জ্বলতৰ হৈ আহিল। শেষত ই এনে উজ্জ্বলতা গ্ৰহণ কৰিলে যে তাৰ প্ৰকোপত পাহাৰখন অগ্নি-ভূত হৈ সেই জ্যোতিৰ লগত মিহলি হৈ গ'ল। সেই জ্যোতি দেখি, তাৰ প্ৰখৰতা সহ্য কৰিব নোৱাৰি মূছা জ্ঞানশূন্য হ'ল। কিছু পৰৰ পাছত জ্ঞান পাই তেওঁ প্ৰাৰ্থনা জনালে—'হে অনন্তশক্তি আল্লা, স্তুতিৰ সকলো গৌৰব তোমাৰেই। ক্ষুদ্ৰ শক্তিৰে আমি তাৰ কি উমান পাম? তাকে জানি মই তোমাত আত্ম-সমৰ্পণ কৰিছোঁ। তোমাৰ একত্ব আৰু অদ্বিতীয়-তাত যিসকলে প্ৰত্যয় মানে, মই তেওঁলোকৰ ভিতৰত প্ৰথম।' প্ৰত্যু-ত্তৰত তেওঁ শুনিবলৈ পালে—'মূছা, তুমি ঠিক বুজিছা। তোমাক মই জনসমাজৰপৰা নিৰ্ব্বাচন কৰি লৈছোঁ—। তুমি মোৰ প্ৰত্যাদেশ আৰু বাণীসমূহ নি সমাজত প্ৰচাৰ কৰিবা।' তাৰ পাছত খোদাই হজৰত মূছাক চমুকৈ সেই বাণীসমূহ প্ৰদান কৰিলে। হজৰত মূছাই তেওঁৰ অনু-গামীসকলৰ মঙ্গলৰ কাৰণে বাণীসমূহ শিলৰ ফলিত লিখি আনিলে। এই বাণীসমূহ 'তোৰা' বা 'তাওৰাৎ' নামে অভিহিত। এইবোৰ উপদেশমূলক বাণী; আৰু [illegible] গভীৰ নৈতিক 'দশআদেশৰ' তত্ত্ব আৰু সমাজৰ নিৰ্দেশ এইবোৰত আছিল। যেনে, [illegible] মোক সেৱা কৰিবা.

আন বাহিৰে অন্য দেৱ-দেৱীক পূজা নকৰিবা; মোৰ নাম অনাহকত লৰণ নকৰিবা; সপ্তাহত ছয় দিন কাম কৰি সপ্তম দিনটো জিৰণি লবা; পিতৃ-মাতৃক সন্মান কৰিবা; ৰক্তপাত নকৰিবা; চুৰ নকৰিবা; পৰস্ত্ৰী হৰণ নকৰিবা, তোমাৰ ওচৰ-চুবুৰীয়াৰ বিৰুদ্ধে মিছা সাক্ষী নিদিবা; তোমাৰ প্ৰতিবেশীৰ অৰ্থ-সম্পদলৈ লোভ নকৰিবা; তোমাৰ প্ৰতিবেশীৰ পত্নীৰ মৰ্য্যাদা ৰক্ষা কৰিবা, ইত্যাদি।

তুৰ পৰ্ব্বতৰপৰা নামি আহি ককায়েক হাৰুণৰ তত্বাৱধানত এৰি থোৱা তেওঁৰ অনুগামীসকলৰ অৱস্থা তেওঁ যি দেখিলেহি তাত তেওঁৰ অন্তৰ তেনেই ভাগি গ'ল। যি ইস্ৰাইলসকলে এক আল্লাৰ সেৱক হবলৈ গৈ মহাপ্ৰতাপী ফেৰাউনৰ ক্ৰোধত পৰি নিজৰ সৰ্ব্বস্ব ত্যাগ কৰিব লগীয়া হৈছিল তাৰেই কিছুমানে ছামেৰি নামে এজন মুখিয়াল লোকৰ প্ৰৰোচনাত গো-পূজা আৰম্ভ কৰিছিল। ফেৰাউনৰ সৈন্য-সামন্তৰ লগত বহুত সোণৰ অলঙ্কাৰ আছিল। লোহিত সাগৰত যেতিয়া তেওঁলোকে সলিল-সমাধি লাভ কৰিলে তেতিয়া ইস্ৰাইলসকলে সেই সোণবোৰ আনিছিল আৰু তাৰ দ্বাৰা ছামেৰি নামে লোকজনৰ নিৰ্দ্দেশ মানি এটি সোণৰ গৰু সাজি তাকে ঈশ্বৰ বুলি পূজা কৰিছিল। ছামেৰিয়ে সোণৰ গৰুটো এনেভাৱে সজাইছিল যে তাত বতাহ লাগিলে সি হেম্বেলোৱাৰদৰে এটা শব্দ কৰিছিল। তাতেই সাধাৰণ লোকসকলে সেই মূৰ্ত্তিটোক ঈশ্বৰ বুলি মানি লৈ তাকে পূজা কৰিছিল। হজৰত মুছাই এই মূৰ্ত্তিটো দেখি আৰু তাকেই তেওঁৰ অনুবৰ্ত্তীসকলে পূজা-সেৱা কৰিবলৈ ধৰা দেখি ককায়েক হাৰুণক ভৎসনা কৰিলে আৰু সোণৰ গৰুটো জুইত পুৰি সাগৰত পেলাই দিলে। এইদৰে ইস্ৰাইলসকলক পুনঃ ন্যায়-পথলৈ ঘূৰাই আনোতে হজৰত মুছাৰ বিষম কষ্ট হৈছিল। (কোঃ ২০।৯৭)।

ইয়াৰ পাছত আল্লাৰ নিৰ্দ্দেশত হজৰত মুছাই খুৰু খিজিৰ নামৰ এজন সাধাৰণ লোকৰপৰাও বহুত জ্ঞানগৰ্ভ উপদেশ শিকি লৈছিল।

এইদৰে তেওঁ ইস্ৰাইলসকলক নানা দেশৰ মাজেদি ভ্ৰমণ কৰাই নি দীৰ্ঘ ৪০ বছৰৰ অন্তত কেনান দেশত সুখ আৰু শান্তিৰে বসতি আৰম্ভ কৰিলে। হজৰত মুছাই পিশগা পৰ্ব্বতৰ উপত্যকাত ১২০ বছৰ বয়সত জীৱনলীলা সম্বৰণ কৰে। হজৰত মুছাৰ মৃত্যুৰ পাছত হজৰত ইউচা তেওঁৰ উত্তৰাধিকাৰী হৈছিল।

হজৰত দাউদ

বেথেলহামৰ এটি ক্ষুদ্ৰ পৰিয়ালত হজৰত দাউদৰ জন্ম হয়। তেওঁৰ পিতৃৰ নাম ভোবাইছি। সৰু কালৰে পৰা বীণা বজাই গীত গোৱাত দাউদ বৰ পাকৈত হৈ পৰিছিল। শৈশৱত এদিন হজৰত ছেমুৱেলে তেওঁৰ গাত হাত-বুলাই তেল ঘঁহি দি কৈছিল—'এসময়ত এই শিশুৱে সম্ৰাট তালুতৰ সিংহাসন অধিকাৰ কৰিব।'

ইয়াৰ কিছুকাল পাছত সম্ৰাট তালুতৰ কিবা এক অচিন ৰোগ হ'ল। গাৰ পোৰণি আৰু মনৰ ব্যাকুলতাত তেওঁ ছাটি-ফুটি কৰি অস্থিৰতাৰে কাল কটাবলৈ ধৰিলে। ৰাজবৈদ্যসকলে চাই-চিন্তি নিৰাকৰণ কৰিলে, ৰজাৰ সেই ব্যাধিৰ একমাত্ৰ প্ৰতিকাৰ বিচিত্ৰ বীণ-বাদ্য শ্ৰৱণ। বহুত অন্বেষণৰ অন্তত শৈণত বীণ-বাদক পোৱা হ'ল। তেওঁৰ বীণৰ বিচিত্ৰ সুৰ শুনি সঁচাকৈয়ে ৰজাই দাউদক বাপেক-মাকৰ অনুমতিক্ৰমে নিজৰ ৰাজ-চাউনিৰ ভিতৰত যতনেৰে ৰাখিলে। তাত দাউদে যুদ্ধ-বিদ্যা শিকিবলৈও সুযোগ পালে। তেওঁ ৰজাৰ চাউনিতে ডাঙৰ-দীঘল হ'ল।

সেই সময়ত পেলেষ্টিনিয়ানবিলাক ইস্ৰাইলবিলাকৰ লগত সততে যুদ্ধ-বিগ্ৰহত লিপ্ত আছিল। এবাৰ পেলেষ্টিয়ানবিলাকে আহি সম্ৰাট তালুতৰ ৰাজ্য আক্ৰমণ কৰাৰ উদ্দেশ্যে সীমান্ত চাউনি পাতি ব'ল আৰু ইস্ৰাইল-সকলক যুদ্ধৰ কাৰণে আহ্বান জনালে। পেলেষ্টিনিয়ানবিলাকৰ ভিতৰত এজন বীৰ আছিল, নাম জালুত (গলায়েথ)। জালুত বৰ দৈত্যাকাৰ পুৰুষ আছিল। তেওঁৰ সৰ্বশৰীৰ লৌহ-কৱচৰদ্বাৰা আবৃত আছিল আৰু মূৰত তেওঁ পিন্ধিছিল পিতলৰ শিৰস্ত্ৰাণ। মুঠতে, মুখমণ্ডলত বাহিৰে শৰীৰৰ কোনো অংশ অনাবৃত হৈ থকা নাছিল। যুদ্ধ-ক্ষেত্ৰত নামি, তেওঁ শত্ৰুপক্ষৰ ভিতৰৰপৰা যিকোনো বীৰক তেওঁৰ লগত যুঁজিবলৈ আহ্বান কৰিছিল আৰু দুয়োৰে মল্ল-যুদ্ধত যাৰে জয় হ'ব, সেই পক্ষক অন্য পক্ষই বশ্যতা স্বীকাৰ কৰিব লাগিছিল।

মহাবীৰ জালুতৰ বিপুল বিক্ৰমৰ কথা শুনি আৰু তেওঁ সাজি-কাছি ৰণলৈ অহা বুলি জানি ইস্ৰাইলসকলৰ মাজত সন্ত্ৰাস উপস্থিত হ'ল। ইস্ৰাইলসকলৰ কোনেও বীৰ জালুতৰ আগত যুঁজিবলৈ সাহ নকৰিলে। ৰজা তালুত মহা বিপদত পৰিল। তাকে দেখি আশ্ৰিত যুৱক ডাউদে ৰজাক কলেহি, 'মহাৰাজ, এইখন ৰণলৈ মোকে যাবলৈ অনুমতি দিয়ক। বয়সত কম হলেও মোৰ যুদ্ধ-বিদ্যা জনা আছে। মোৰ দৃঢ় বিশ্বাস, আল্লাৰ কৃপাত মই ৰণত জয় লাভ কৰি আপোনাৰ ৰাজ্য ৰক্ষা কৰিব পাৰিম।' ৰজা মান্তি হ'ল। তেওঁৰ মনলৈ আশাৰ ৰেঙণি এটা আহিল।

ৰজাই আৰৰ-সাদৰ কৰি বাছকবনিয়া পিতলৰ কৱচ, শিৰস্ত্ৰাণ আদি আনি ডাউদক পিন্ধিবলৈ দিলে। ডাউদে সেইবোৰ কোনো দিনে পিন্ধা নাছিল। তেওঁ সেইবাবে সেইবোৰ নিপিন্ধি কলে যে সেই আৱৰণবোৰ ব্যৱহাৰ কৰি তেওঁ অকণো আৰাম নাপায়, দ্বন্দ্ব-যুদ্ধত মুক্তভাৱে যুঁজিহে তেওঁৰ ভাল লাগে।

যথাসময়ত যুদ্ধ আৰম্ভ হ'ল। দুয়ো পক্ষৰ ৰণ-ভেৰী বাজি উঠিল। মহাবিক্ৰমী বীৰ জালুত অৱলীলাক্ৰমে পেলেষ্টিয়ানসকলৰ বেহুৰপৰা হাত-চাপৰি বজাই ওলাই আহিল। টঙালিত তেওঁৰ তৰোৱাল ওলমি থাকিল। ইস্ৰাইলসকলৰ মাজৰপৰাও তেতিয়া ডেকা বীৰ ডাউদে হাতত মাত্ৰ এডাল ফিঙা লৈ তাকে ঘূৰাই ঘূৰাই স্ফূৰ্ত্তি বজাই হৃষ্টচিত্তে আগবাঢ়ি আহিল। কাষত থকা নিজৰা এটাৰ পাৰৰপৰা পাঁচটা শিলগুটি তুলি তেওঁ জেপত ভৰাই ললে।

তাকে দেখি বীৰশ্ৰেষ্ঠ জালুতে হাঁহি হাঁহি কলে 'হেৰ,' মই জানো কুকুৰ, তই যে হাতত শিলগুটি লৈ মোৰ লগত যুঁজিবলৈ আহিছ? আহিছ যদি আহি যাক। তোৰ ডিঙি মূচৰি ছিঙি, মঙহ টুকুৰা টুকুৰকৈ কাটি মই মুকলি পিথিৰতে কাউৰী-শগুনক দিম।'

ডাউদে উত্তৰ দিলে—'বৰ বৰ কথা কৈ বাহাদুৰ যাবিব নালাগে। কোন কিমান পানীৰ মাছ এতিয়াই ঠিক হৈ যাব। আল্লাৰ কৃপাত তোক বধিবলৈ মোক বেছি পৰ নালাগে। চাই থাক বাৰু।' এইবুলি তেওঁ ফিঙাত শিলগুটি থৈ জালুতলৈ প্ৰহাৰ কৰিলে। শিলগুটি গৈ জালুতৰ কপালত এনেভাৱে পৰিল যে দি যেন বন্দুকৰ গুলীহে হ'ল। জালুতৰ

উচ্চ আৰু উন্মুক্ত কপালত গৈ প্ৰৱেশ কৰিলে, আৰু মুহূৰ্তৰ ভিতৰতে মহাবীৰ জালুতে চকুৰে সৰিয়হৰ ফুল দেখাৰ ঢং দেখি বাগৰি পৰিল। পেলেষ্টিনিয়াৰ সৈন্যৰ মাজত হুৱাদুৱা লাগিল। দাউদে তীব্ৰবেগে গৈ জালুতৰ কাকবপৰা তীক্ষ্ণ তৰোৱাল উলিয়াই ললে আৰু চকুৰ পচাৰতে তেওঁৰ শিৰচ্ছেদ কৰিলে। যুঁজত হাৰি পেলেষ্টিনিয়ানবিলাক বিভঙে পলাল।

দিগ্বিজয়ী বীৰৰ দৰে ৰজা তালুত ৰাজ-প্ৰাসাদলৈ উভতিল। নগৰৰ লোকসকলে তেওঁক আৰু বিজয়ী বীৰ দাউদক বিপুল সম্বৰ্দ্ধনা জনালে। নাৰীসকলে গীত ৰচনা কৰি গালে—

'ৰজাই বধিলে হাজাৰ হাজাৰ, দাউদে বধিলে লাখ।
আমাৰ দেশৰ মান ৰাখি গ'ল, কৰোঁ আমি উল্লাস।'

গীতৰ অৰ্থ অনুধাৱন কৰি ৰজাই স্থিৰ কৰিলে যে তেওঁক অপমান কৰিবলৈহে সেই গীত ৰচনা কৰা হৈছে; তাত দাউদকহে প্ৰশংসা কৰা হৈছে। দাউদৰ প্ৰতি তেওঁৰ ঘোৰ ঈৰ্ষা উপজিল। দাউদ জীয়াই থাকিব লাগিলে তেওঁ এদিন ৰজাৰ ৰাজসিংহাসনো কাঢ়ি লবগৈ বুলি ভাবি তেওঁ দাউদক বধ কৰিবৰ উপায় চিন্তিবলৈ ধৰিলে।

ইফালে দাউদৰ লগত সম্ৰাটৰ পুত্ৰ উনাচিনৰ পৰম বন্ধুত্ব হ'ল। দুয়ো নলে-গলে লগা বন্ধু হৈ পৰিল। দুয়োৰো দুয়ো প্ৰত্যেকৰ বাবেও লগ লেবা হ'ল।

সম্ৰাট তালুতে এদিন দাউদক কলে যে তেওঁ যদি তেওঁৰ শত্ৰু পেলে-ষ্টিনিয়ানসকলক যুদ্ধত পৰাস্ত কৰি সিহঁতৰ দুশজনৰ মূৰ কাটি আনি সম্ৰাটক উপহাৰ দিব পাৰে তেন্তে সম্ৰাটে তেওঁলৈ তাৰ পুৰস্কাৰ স্বৰূপে নিজৰ জীয়েক এজনীকে বিয়া দিব। পিছে, দাউদে কথাষাৰত অদ্ভুত সাহসেৰে গৈ তাকে কৰি দেখুৱালত সম্ৰাট বিমোৰত পৰিল। কাৰণ তেওঁ সপোনতো ভবা নাছিল যে এনে দুৰূহ কাম এটা দাউদে কৰিব পাৰিব। তেওঁ বৰং ভাবিছিল, এই দুঃসাহসিক কাম কৰিবলৈ গৈ দাউদে নিশ্চয় প্ৰাণ এৰিব। নিজৰ বাক্যত বন্দী হৈ তেওঁ অগত্যা নিজৰ জীয়েক এজনীক দাউদলৈ বিয়া দিলে। এই পৰিস্থিতিত তেওঁৰ মনৰ ঈৰ্ষানল দুগুণে জ্বলিল।

সম্ৰাট তালুতে এতিয়া দাউদৰ প্ৰকাশ্য ভাৱে, দেখাদেখিকৈয়ে; শত্ৰুতা আৰম্ভ কৰিবলৈ ধৰিলে। উনাচিনে পিতাকক এনে পাশৱিক মনোবৃত্তি

পৰিয়ালৰ ক্ষমতাবলে অশেষ যত্ন কৰিলে, কিন্তু সকলো বিফল হ'ল। ঈৰ্ষান্ধ ৰজা ইমানে আত্মবিস্মৃত হ'ল যে দাউদক হত্যা কৰিবৰ কাৰণে আৱশ্যক হলে তেওঁ যেন নিজ পুত্ৰ উনাচিনকো বধ কৰিবলৈ হেলা নকৰিব। উনাচিনে এই কথাৰ সত্যতা নোপোৱাকৈ নাথাকিল।

ঘটনা বিষম দেখি এদিনে উনাচিনে তেওঁৰ বন্ধু দাউদক ক'লে—'বন্ধু, মোৰে শপত, তুমি শীঘ্ৰে এই ৰাজ্যৰপৰা পলাই যোৱা। নহলে তোমাৰ জীৱন বিপন্ন হ'ব। মই ৰক্ষা কৰিব নোৱাৰিম।' দাউদে এই কথা পত্নীৰ লগত আলচ কৰিলে আৰু সেই ৰাতিয়েই গৃহ-ত্যাগ কৰি নিৰুদ্দেশ হ'ল। ৰজাই নিযুক্ত কৰা গুপ্তঘাটকে গৈ দাউদক নাপাই ৰজাক জনালে। ৰজা ক্ৰোধ আৰু হতাশাত মৃতপ্ৰায় হ'ল।

ৰজা তাজুতে তেতিয়া পলাতক দাউদক তেওঁৰ শত্ৰু বুলি ঘোষণা কৰিলে আৰু তেওঁৰ অন্বেষণত সৈন্য-সামন্ত পঠিয়ালে। উৰা বাতৰিতে কেতিয়াবা তেওঁ নিজেও সৈন্য পৰিচালনা কৰি দাউদৰ সন্ধানত অৰণ্যত প্ৰৱেশ কৰিছিল। এনেকৈ হাবি, বননিয়ে ঘূৰি ফুৰোঁতে দুবাৰ তেওঁৰ প্ৰাণ দাউদৰ বন্ধুসকলৰ হাতত বিপন্ন হৈছিল। এই দুয়োবাৰে দাউদেহে তেওঁক বচায়। ৰজা তাপুতে দাউদৰ এনে উদাৰতাৰ শলাগ লৈ প্ৰত্যেকবাৰে সলজ্জবদনে উভতি-বলৈ বাধ্য হৈছিল।

অন্য এবাৰ আকৌ দাউদে ৰজাক অৰণ্যৰ মাজত শুই থকা অৱস্থাত পাই তেওঁৰ মূৰ-শিতানৰপৰা ফাঠীপাট আৰু খোৱা পানীৰ পাত্ৰটো লৈ গৈ দূৰৰপৰা বিড়িয়াই কৈছিল যে তেওঁ মহাৰাজক ইচ্ছা কৰিয়েই হত্যা নকৰিলে, যদিও মহাৰাজে বিনা অপৰাধতে তেওঁৰ প্ৰাণ লবলৈ তেনেকৈ খেদি ফুৰিছে। মহাৰাজ তালুতে লাজপাই নিজৰ অৱস্থা বুজি সেই বাৰো দাউদৰ মহানুভৱতা শতমুখে বখানি উভতি গৈছিল।

এনেকৈ দীৰ্ঘ ন বাৰ প্ৰাণে দিতাহে ৰজা তালুতে দাউদৰ অন্বেষণত ঘূৰি থাকোঁতে এবাৰ পেলেষ্টাইনবিলাকে ইস্ৰাইলৰ বিৰুদ্ধে পুনঃ যুদ্ধ-যাত্ৰা কৰিলে। ৰজা তালুতে পুত্ৰসকলক লগত লৈ শত্ৰুৰ বিৰুদ্ধে সেহেতুকৈহে যুঁজিলে। কিন্তু সকলো বিফল হ'ল। ৰণত উনাচিনকে আদি কৰি তেওঁৰ আটাইকেইজন পুত্ৰেক নিহত হ'ল। লাজ, অপমান, শোক আৰু নিৰাশাত তেওঁ ৰণৰ মাজতে আত্মঘাতী হ'ল। 'কথিত আছে যে 'তেওঁ' নিজৰ

পৰিস্থিতিত তেওঁ পোনতে তেওঁৰ শৰীৰ-ৰক্ষক সৈন্য এজনৰ হাতত নিজৰ তৰোৱালখন তুলি দি কৈছিল—'তোমাক মই আদেশ কৰিছো—তুমি এই মুহূৰ্ত্ততে মোক এই তৰোৱালেৰে খুচি বধ কৰা ; নহলে শত্ৰুৰ হাতত মোৰ শোচনীয়ভাৱে মৃত্যু হব, ৰক্ষা নাই। তুমি মোক খুচি মাৰা, মাৰা।'

ৰাজ-আদেশতো কিন্তু সেই সৈন্যটোৱে তেনে অমানুষিক কাম কৰিব নোৱাৰি থিয় হৈ থাকিল। তেতিয়া ৰজাই নিজে নিজৰ বুকুত তৰোৱাল বহুৱাই দি প্ৰাণ এৰিলে। তেওঁৰ শৰীৰ-ৰক্ষক যুঁৱাকটোৱে এই ঘটনা দেখি শোকত আত্ম-সম্বৰণ কৰিব নোৱাৰি নিজেও সেই তৰোৱালতে পৰি প্ৰাণ এৰিলে।

এই খবৰ যেতিয়া গৈ হজৰত দাউদৰ কাণত পৰিল, তেওঁ তেতিয়া থিৰে থাকিব নোৱাৰিলে। তেওঁ কান্দি কান্দি শোকাকুল কণ্ঠে কলে—'মহাৰাজ তালুত আৰু তেওঁৰ গুণী পুত্ৰ, প্ৰাণবন্ধু উনাচিনৰ মৃত্যুৰ খবৰ পোৱাৰ আগতে যদি মোৰ মৃত্যু ঘটিলহেঁতেন! হায়! উনাচিনৰদৰে বন্ধু মই আৰু ক'ত পাম?' এই উপলক্ষে তেওঁ নিজে বিতোপন শোক-সঙ্গীত ৰচনা কৰি কান্দি কান্দি বীণৰ লগত সুৰ মিলাই গাইছিল আৰু আনকো গাবলৈ শিকাইছিল।

ইস্ৰাইলসকলে হজৰত দাউদক বিচাৰি আনি সিংহাসনত বহুৱালে। ৰজা হৈ হজৰত দাউদে দেশত যুগমীয়াভাৱে শান্তি স্থাপন কৰিবলৈ লাগি গ'ল। তেওঁ জেৰুজালেমত ৰাজধানী পাতিলে আৰু বহু কাল ৰাজত্ব কৰিলে। তেওঁৰ বাৰজন বিখ্যাত সেনাপতি আছিল আৰু তেওঁলোকৰ প্ৰত্যেকৰ অধীনতে চৌব্বিশ হাজাৰকৈ সৈন্য আছিল। সেনাপতিসকলৰ সহায়ত তেওঁ পেলেষ্টাইনৰ মোৱাব, ছিৰিয়া, হাজাৰ আদি ৰাজ্যবোৰ জয় কৰি লৈছিল। তেওঁৰ ৰাজ্য ইজিপ্তৰপৰা ইয়ুফ্ৰেটিছ নৈ পৰ্য্যন্ত বিয়পি পৰিছিল।

দেশত শান্তি স্থাপন হোৱাত হজৰত দাউদে ধৰ্ম্ম প্ৰচাৰৰ ফালে মন মেলিলে। তেওঁ প্ৰচাৰ কৰিলে যে আল্লা এক আৰু অদ্বিতীয় আৰু তেৱেঁই একমাত্ৰ আৰাধ্য। হজৰত দাউদে চাইহন নামে পৰ্ব্বতৰ ওপৰত শান্তি-শিবিৰ এটা নিৰ্ম্মাণ কৰিছিল। সেই শিবিৰলৈ সকলোলোৱে নিৰ্দ্দিষ্ট সময়ত বীণ বজাই ধৰ্ম্ম-সঙ্গীত গাই সদলবলে গৈছিল। হজৰত দাউদে নিজে সেই সমদলৰ আগত ঠাই লৈছিল। ধৰ্ম্ম-সঙ্গীত চৰ্চ্চা কৰি বীণৰ লগত সেই সঙ্গীতবোৰ গাবলৈ তেওঁ এটা যাজক শ্ৰেণীৰ সৃষ্টি কৰিছিল আৰু এই যাজক-

সকলক পিছত ছাব্বিশ ভাগত বিভক্ত কৰি প্ৰত্যেককে বিশেষ বিশেষ কৰ্তব্য দিয়া হৈছিল। হজৰতে নিজ হাতে যুদ্ধৰ কৱচ তৈয়াৰ কৰিছিল। কোৰাণত আছে যে তেওঁ সেই বিদ্যা স্বয়ং আল্লাহ্‌তালাৰপৰা প্ৰাপ্ত হৈছিল। (কোৰাণ ২১।৮০)।

হজৰত দাউদৰ ভালেমান পুত্ৰেক আছিল। তাৰে এজনৰ নাম আছিল এবছেলম। এবছেলম দেখাত যেনে সভা-সুৱনি, গুণতো তেনে আকৰ্ষণীয় আছিল। ইস্ৰাইলসকলে তেওঁক বৰ ভাল পাইছিল। লাহে লাহে তেওঁ বৰ শক্তিশালী হৈ উঠিল। কেইবাজনো সৈন্যাধ্যক্ষ তেওঁৰ বৰ অনুৰক্ত হৈ পৰিল। ৰজা দাউদে গুপ্তচৰৰ মুখে শুনিবলৈ পালে যে ইস্ৰাইলৰ লোক-সকলে এবছেলমকহে ৰজা বুলি মানিবলৈ ইচ্ছা কৰিছে। তেওঁ এই বাতৰি পাই মনত মৰ্মান্তিক বেদনা অনুভৱ কৰিলে আৰু সেই বেজাৰতে ৰাজ্য এৰি নিৰুদ্দেশ হ'ল।

বাটত যাওঁতে হজৰত দাউদে অকস্মাৎ ৰজা তালুতৰ বংশৰ এজন লোকক লগ পালে। তেওঁ সেই মানুহজনৰ আশ্ৰয়প্ৰাৰ্থী হ'ল। কিন্তু আশ্ৰয় বা সাহাৰ্য্য দিয়া দূৰৰ কথা এই দুৰাচাৰটোৱে হজৰত দাউদ আৰু অনুচৰসকলৰ গালৈ শিলগুটিহে দলিয়ালে আৰু তালুতৰ পুত্ৰসকলৰ মৃত্যুৰ কাৰণ তেৱেঁই বুলি তেওঁক পাৰেমানে অভিশাপ দিবলৈ ধৰিলে। হজৰত দাউদৰ সহচৰ এজনে ভেতিয়া তেওঁক কৈছিল, 'এই কটা কুকুৰটোৰ ইমান সাহস! আপুনি অনুমতি দিয়ে যদি এতিয়াই ইয়াৰ মূৰটো কাটি পেলাওঁ।' হজৰতে তাৰ উত্তৰত কৈছিল—'কোনে জানে, তাৰ অভিশাপ আল্লাৰ অনুগ্ৰহত মোৰ কাৰণে হয়তো আশীৰ্ব্বাদ হবও পাৰে। মোৰ নিজৰ ঔৰসত জন্ম লাভ কৰা পুত্ৰই মোৰ বিৰুদ্ধে বিদ্ৰোহ কৰিব পাৰিছে যেতিয়া, সি নো তাতকৈ বেছি কি কৰিছে? তাক থাকিব দিয়া। সি মোক হেঁপাহ পলুৱাই শাও দিয়ক।'

এবছেলমে কিছুমান সৈন্য লৈ পিতাক দাউদক জৰ্দন নদীলৈকে খেদি গ'ল। দঃ দাউদৰ অনুচৰসকলৰ লগত তেওঁৰ তাতে এখন যুদ্ধ হ'ল। যুদ্ধত হাৰি এবছেলম পলাব লগীয়াত পৰিল। তেওঁ এটা খচ্চৰ ঘোঁৰাত উঠি পলায়ন কৰিলে।

ৰজা এবছেলমৰ ভিৰোতাৰ দৰে দীঘল চুলি আছিল। নৈৰ পাৰৰ জোপোহা গছবোৰৰ তলেদি ঘোঁৰাত উঠি লৰি যাওঁতে দৈবাৎ তেওঁৰ চুলি গৈ জোপোহাত কেঁৰিয়াই পৰিল। ইফালে হজৰত দাউদৰ অনুচৰ

খেদাত ঘোঁৰাটোৱে এবছেলমক তেনে অৱস্থাতে এৰি জৰাত নধি পলাল। এবছেলম জোপোহাত ওলমি থকাৰ দৰে থাকিল। হজৰত দাউদৰ দলৰ সেনাপতি এজনে দেখি গৈ তেওঁক সেই ঠাইতে ছুৰুৰ ঘূচি বধ কৰিলে। তেওঁক মৈৰ পাবৰ গাঁত এটাত পিল আৰু খালিৰে ঢাকি কবৰ দিয়া হ'ল।

এবছেলমৰ মৃত্যুৰ খবৰ গৈ হজৰত দাউদৰ কাণত পৰিলত তেওঁ তেনেই মৰ্ম্মাহত হ'ল। সক ল'ৰাৰ দৰে উচুপি উচুপি কান্দি তেওঁ কৈছিল—'হায় মোৰ বাছা এবছেলম! মোৰ প্ৰাণধন এবছেলম! তই ক'লৈ গলি বাছা! হায় এবছেলম! মোৰ পুত্ৰ এবছেলম!'

ইয়াৰ কিছুদিনৰ অন্তত হজৰত দাউদ জেৰুজালেমলৈ উভতি গ'ল। তাত তেওঁক আকৌ সকলোৱে মিলি ৰজা পাতিলে। এইবাৰ তেওঁ চল্লিচ বছৰ ৰাজত্ব কৰিলে। ৭০ বছৰ বয়সত তেওঁৰ মৃত্যু হ'ল। ৰাজত্বৰ শেষ কালত তেওঁ আল্লাৰ নামত এটা সুবৃহৎ গৃহ নিৰ্ম্মাণ কৰিবলৈ হাতত লৈছিল। তেওঁ তাৰ বাবে সোণ, ৰূপ, পিতল, লীহ, কাঠ, মূল্যবান পাথৰ আদি সামগ্ৰীবোৰ নানা ঠাইৰপৰা সংগ্ৰহ কৰিছিল। কিন্তু তেওঁ তাৰ নিৰ্ম্মাণ সম্পূৰ্ণ কৰিবলৈ জীয়াই নাথাকিল। মৃত্যুৰ সময়ত তেওঁ তেওঁৰ জগদ্বিখ্যাত পুত্ৰ ছোলেইমানৰ ওপৰত ৰাজ্যভাৰ দি উক্ত মন্দিৰ নিৰ্ম্মাণৰ বাবে তেওঁক সকলো দিহা-পৰামৰ্শ দিছিল। তেওঁ কৈছিল—'মনত ৰাখিবা, মই এই গৃহ কোনো জীৱিত লোকৰ বাসৰ কাৰণে নিৰ্ম্মাণ কৰিব খোজা নাছিলোঁ। মই এই গৃহ আল্লাৰ নামত সমৰ্পণ কৰিব খুঁজিছিলোঁ। তুমিও তাকে কৰিব লাগিব। পিতৃৰ অপূৰ্ণ কাম সমাধা কৰা উপযুক্ত পুত্ৰৰ জীৱনৰ কৰ্ত্তব্য।'

হজৰত দাউদ গুণৰ মন্দিৰ স্বৰূপ আছিল। তেওঁ ৰজা হৈও মিতব্যয়ী আৰু মিতাচাৰী আছিল; তেওঁৰ কণ্ঠস্বৰ অতীব মধুৰ আৰু সুললিত আছিল। তেওঁ জবুৰ নামে ধৰ্মগ্ৰন্থ লাভ কৰিছিল (কোঃ ১৭।৩৫) আৰু নিজে সেই গ্ৰন্থৰ গীতবোৰ গাই শুনাইছিল। প্ৰবাদ আছে যে তেওঁ যেতিয়া নিজে বীণাৰ ঝঙ্কাৰৰ লগত সুৰ মিলাই ধৰ্মগীত গাইছিল তেতিয়া বনৰ বনৰীয়া পশু-পক্ষীয়েও বিমুগ্ধ হৈ সেই গীত কাণ পাতি শুনিছিল। মৃত্যুৰ সময়ত তেওঁ ছোলেইমানক ওচৰলৈ মাতি নি কৈছিল, 'প্ৰাণী-জগতৰ মিটো শেষ পথ, মইো আজি সেই পথেদিয়ে যাত্ৰা আৰম্ভ কৰিম। মই আশীৰ্ব্বাদ কৰিছোঁ—তুমি বলবান হোৱা, পুৰুষত্ব লাভ কৰা আৰু খোদাৰ কৃপা লাভ কৰিবলৈ সমৰ্থ হোৱা।'

হজৰত দাউদৰ জবুৰ গ্ৰন্থৰ মধুৰ সঙ্গীতবোৰ আজিও ভক্তসকলে গভীৰ শ্ৰদ্ধাৰে শ্ৰৱণ কৰে।

হজৰত ছোলেইমান

হজৰত দাউদৰ গুণী পুত্ৰ হজৰত ছোলেইমানৰ নাম চাৰিও পিনে বৈ-বৈ পৰিছিল। ৰজা হৈও ত্যাগৰ মাজেদি যিসকলে ধৰ্ম-জগতত অমৰত্ব লাভ কৰিছিল সেই সকলৰ ভিতৰত হজৰত ৰজাছোলেইমান অন্যতম। তেওঁৰ বিচাৰবুদ্ধিৰ বিচক্ষণতাৰ বিষয়ে আজিও অনেক আখ্যান শুনা যায়। ৰজা বিক্ৰমাদিত্যৰ দৰে তেওঁ এজন আখ্যান-প্ৰসিদ্ধ সম্ৰাট।

ৰাজপাটত উঠাৰ পূৰ্ব্বেই তেওঁ উচিত বিচাৰৰ কাৰণে সুপ্ৰসিদ্ধ হৈ পৰিছিল। কথিত আছে যে তেওঁৰ পিতৃ হজৰত দাউদৰ ৰাজত্বত এবাৰ ৰাজসভাত মীমাংসাৰ কাৰণে এটা গোচৰ উত্থাপন কৰা হৈছিল। এজন লোকৰ ভেৰাবোৰে অন্য এজন লোকৰ পথাৰৰ খেতি সোপাকে খাই উপান্ত কৰিছিল। তাতে খেতিৰ গিৰীয়ে হজৰত দাউদৰ ওচৰত গোচৰ দিলে। হজৰতে দুয়োকো মাতি মোকৰ্দ্দমাৰ আদ্যোপান্ত শুনি এইমতে সিদ্ধান্ত দিলে যে খেতিৰ মালিকে ক্ষতিপূৰণৰ বাবে ভেৰাবোৰ ৰাখিব আৰু সেইবোৰৰ পোৱালি হলে সেই পোৱালি ভেৰাৰ মালিকক দিব।

বিচাৰৰ সময়ত হজৰত দাউদৰ পুত্ৰ ছোলেইমান ওচৰতে আছিল। বিচাৰৰ মীমাংসা শুনি পিছত তেওঁ পিতাকক কলে—'পিতা, গোচৰৰ নিষ্পত্তি অন্য এক ৰকমে হোৱা হলে আৰু বেছি ভাল হ'লহেঁতেন।' হজৰত দাউদে খোলাভাৱে তেওঁৰ মন্তব্য দিবলৈ কোৱাত ছোলেইমানে কলে—'ভেৰাবোৰ খেতিৰ মালিকে পোৱাত ঠিক হৈছে, কিন্তু যিমান দিনলৈ এই ধ্বংস হোৱা শস্যবোৰ টান ধৰি উঠে অৰ্থাৎ আগৰ অৱস্থালৈ নাহে সিমান দিনলৈহে খেতিৰ মালিকে ভেৰাবোৰ ৰাখি সিহঁতৰ গাখীৰ, নোম আদি উপভোগ কৰা উচিত। কাৰণ, শস্যবোৰ এদিন নহয় এদিন আকৌ পূৰ্ব্বৰ অৱস্থালৈ আহিব। তেতিয়া উভয়ৰ নিজ নিজ বস্তু উভয়ক গ্ৰহণ কৰিবলৈ দিয়া উচিত। তেতিয়া খেতিৰ মালিক আৰু ভেৰাৰ মালিক উভয়ৰে বিশেষ লোকচান নহব।'

হজৰত দাউদে এই নিষ্পত্তি অতিশয় সমীচীন যেন পালে আৰু পুনঃ বিবেচনা কৰি সেই মতে বিচাৰৰ সিদ্ধান্ত শুনাই দিলে।

হজৰত ছোলেইমানৰ সাম্ৰাজ্যও বৰ বিশাল আছিল। প্ৰবাদ আছে যে বনৰ পশু-পক্ষী আৰু সাগৰৰ ঢৌৰ ওপৰতো তেওঁ প্ৰভাৱ বিস্তাৰ কৰিব পাৰিছিল। পিতাক হজৰত দাউদৰ অন্তিম কামনা অনুযায়ী তেওঁ জেৰুজালেমত এটা বিৰাট ধৰ্ম-মন্দিৰ নিৰ্মাণ কৰি উলিয়াইছিল। এই মন্দিৰ সম্পূৰ্ণ হওঁতে হেনো পুৰা তেৰ বছৰ লাগিছিল। জেৰুজালেমত সি আজিকোপতি ছোলেইমানৰ মন্দিৰ নামেৰে অভিহিত হৈ আছে।

ৰজা ছোলেইমানৰ বিচিত্ৰ সিংহাসনৰ বিষয়েও অনেক আখ্যান বৰ্ত্তি আছে। সেই সিংহাসন হাতীৰ দাঁতেৰে তৈয়াৰী আছিল আৰু তাৰ দুয়ো কাষে দুটা প্ৰকাণ্ড সিংহৰ প্ৰতিমূৰ্ত্তি বিৰাজ কৰিছিল। অদ্ভুত কাৰুকাৰ্য্য খটাই নিৰ্মাণ কৰা, হীৰা-মুকুতা খচিত এই সিংহাসন সেই কালত এটা আচৰিত বস্তু হিচাপে পৰিগণিত হৈছিল। এই সিংহাসনৰ নাম আছিল ৰফ্‌ৰফ্‌ আৰু জনপ্ৰবাদমতে হুদ্‌হুদ্‌ নামৰ পক্ষীয়ে ইয়াক আৱশ্যক মতে কঢ়িয়াই নিছিল।

ৰজা ছোলেইমানৰ কেইবাগৰাকী ৰাণী আছিল। ছিডন নগৰৰ ৰাজকন্যাও সেই সকলৰে এজনী আছিল। ছিডন-কুমাৰীয়ে বিয়াৰ পাছতো গোপনে নিজৰ ইষ্ট-দেৱতাক পূজা কৰিয়ে আছিল। ইফালে ৰজা আছিল এক আৰু অদ্বিতীয় আল্লাৰ একান্ত সেৱক। (কোঃ ২।১০২)

এদিন ৰজা ছোলেইমানে তেওঁৰ পত্নী ছিডন-কুমাৰীৰ তেনে কাৰ্য্যৰ কথা জানিব পাৰিলে। তেওঁ মনত বিষম বেজাৰ পালে; কিন্তু সেই বেজাৰ আৰু বিৰক্তিৰ কথা কাৰো আগত প্ৰকাশ নকৰিলে। আনকি পত্নী ছিডনকুমাৰীকো তেওঁ কোনোপ্ৰকাৰ কঠোৰ ব্যৱহাৰ নকৰিলে। বিশাল সাম্ৰাজ্য এখনৰ একচ্ছত্ৰী ৰজা হৈয়ো আপোন পত্নীকেই নিজৰ মতলৈ সুবাৰলৈ অসমৰ্থ হোৱাৰ অপমানে তেওঁক ইমানে ব্যথিত কৰি তুলিলে যে তেওঁ এদিন ৰাজধানী এৰি গৃহত্যাগী হ'ল।

তেওঁ ছদ্মবেশত অনাই-বনাই ঘূৰিবলৈ ধৰিলে। তেনেকৈ ঘূৰি ফুৰোতে এদিন এটা ঘটনা ঘটিল। অজু কৰিবৰ সময়ত ৰজাই এদিন তেওঁৰ হাতত থকা মন্ত্ৰপূত আঙঠিটো খুলি এটা গছৰ পাতৰ ওপৰত থৈ প্ৰাৰ্থনা কৰিলে

আৰু প্ৰাৰ্থনাৰ ভত্তত আঙঠিৰ কথা সমূলি পাহৰি গ'ল। তেওঁৰ আঙঠি হেৰাল।

সেই আঙঠিটো কোনো এজন লোকে হেৰোৱা-পাই লৈ গ'ল। তেৱেঁ। কিন্তু সেই আঙঠি বেছি দিন ৰাখিব নোৱাৰিলে। তেওঁৰ হাতৰপৰাও কেনেবাকৈ ই সাগৰৰ পানীত পৰিল আৰু কিবা এটা মাছে পাই তাক গিলি খলে। দৈৱাৎ সেই আঙঠি মাছ-মৰীয়াৰ হাতত ওলাল আৰু ৰজাৰ হাত পালেহি। আঙঠি হাতলৈ অহাত ৰজাৰ মন আৰু শৰীৰৰ বল দুগুণে বাঢ়িল। তেওঁ পুনঃ ৰাজধানীত প্ৰৱেশ কৰিলেহি। ৰাজধানীৰ লোকে তেওঁক চিনিব পাৰি পুনঃ সিংহাসনত বহুৱালে। ৰাণী ছিভন-কুমাৰীয়ে নিজৰ অজ্ঞতা স্বীকাৰ কৰি স্বামীৰ ধৰ্ম গ্ৰহণ কৰিলে।

ৰজা ছোলেইমানে ছদ্মবেশত ভ্ৰমণ কৰোঁতে অশেষ জীয়াতু ভুগিব লগীয়া হৈছিল। কোনো কোনো সময়ত তেওঁ ভিক্ষা কৰি প্ৰাণ প্ৰবৰ্ত্তাইছিল। এইবাৰ ৰাজসিংহাসন লাভ কৰি তেওঁ প্ৰাৰ্থনা কৰি কৈছিল—'হে মোৰ প্ৰভু, তুমি মোৰ অপৰাধ ক্ষমা কৰিবা। মোৰ পাপ মোচন কৰি তুমি মোক এনে ৰাজত্ব প্ৰদান কৰা, যাক কেতিয়াও কোনেও আৰু নাপায়। তুমি তেনে দান মোক দিব পাৰা. কাৰণ তুমি মহাদানী, মহান উদাৰ। (কোৰাণ ৩৮।৩৫)। তেতিয়াৰেপৰা নৰ-মনিচত বাহিৰেও হাবিৰ পশু-পক্ষী, দৈত্য-দানৱ আৰু আনকি বায়ু, সাগৰ আদিৰ ওপৰতো তেওঁৰ অদ্ভুত প্ৰতাপ বিস্তাৰ হৈছিল।

এসময়ত ৰজা ছোলেইমানে ঘোঁৰাতালাৰ উদ্দেশ্যে কোৰবানি কৰিছিল। কোৰবানিৰ অন্তত তেওঁ বয়াময় ঘোঁৰাতালাৰ ওচৰত আত্মসমৰ্পণ কৰি পৰিশ্ৰান্তভাৱে শয়ন কৰিছিল। তাতে তেওঁ এইদৰে স্বপ্নাবিষ্ট হৈছিল—'ছোলেইমান, তোমাৰ প্ৰাৰ্থিত বৰ তুষ্ট হৈছো। তুমি যি খোজা বৰ তাকে দিবলৈ প্ৰস্তুত আছো। কোৱা কি তুমি পাবলৈ অভিলাষ কৰা?' ৰজাই উত্তৰত কলে—'হে প্ৰভু, তুমি মোৰ অধীনত অসংখ্য প্ৰজা আৰু এটা বিৰাট জাতি সমৰ্পণ কৰিছা। তেওঁলোকৰ মাজত যাতে মই সু-বিচাৰ কৰিব পাৰো তাৰবাবে তুমি মোক সুবুদ্ধি আৰু সুবিবেচনা দি থাকিবা।' লগতে 'হে খোদাতালাই তেতিয়া কৈছিল—'মই তোমাক সকলোৰ মনোনীত কৰিলো। তোমাৰ জ্ঞান-বুদ্ধিও অতুলনীয় হব।'

হজৰত ছোলেইমানৰ সুবিচাৰৰ নমুনা স্বৰূপে আজিও অনেক গল্প মানুহে কয়। তাৰ এটাত আছে যে এসময়ত দুজনী তিৰোতাৰ ভিতৰত এটা কেঁচুৱাৰ কাৰণে কাজিয়া হৈছিল। এজনীয়ে আহি সভাত গোচৰ দি কলে যে কেঁচুৱাটো তাইৰহে, অন্যজনীয়ে মিছাতে দাবী কৰিছে।

বিচাৰৰ সময়ত আহিলত জ্ঞানী ছোলেইমানে কেঁচুৱাটো কাটিবলৈ আদেশ দিলে। কেঁচুৱাটো অনা হ'লত তেওঁ কটোৱালক কলে—'কটোৱাল, এই কেঁচুৱাটো কাটি দুফাল কৰি এই তিৰোতা দুজনীক সমানে ভগাই দিয়া, কাকো বেছি নিদিবা।' কটোৱাল আগবাঢ়ি গ'ল। তেতিয়া যি গৰাকী কেঁচুৱাটোৰ আচল মাক আছিল তেওঁ কলে—'মহাৰাজ, মোক কেঁচুৱা নালাগে। তাক নাকাটিব; তাইৰেই থাকিবলৈ দিয়ক।' অন্যজনীয়ে কলে—'নহয়, মহাৰাজ, কাটি ভগাই দিয়াই ভাল হব। তাকে কৰক।' দুয়োৰো এনে দুৰকমৰ উত্তৰ শুনি জ্ঞানী ছোলেইমানৰ গোচৰ মীমাংসা কৰিবলৈ আৰু অকণো অসুবিধা নহ'ল। পৃথিবীত এনে মাতৃ জন্মা নাই যি নিজৰ সন্তানক চকুৰ আগত বলি দিয়া চাই থাকিব পাৰে।

ছেবাৰ ৰাণী বিল্কিছে সেই সময়ত ৰজা ছোলেইমানৰ গুণ-গৰিমাৰ কথা সদায় শুনি থাকি তেওঁক চাবলৈ আৰু তেওঁৰ বিচাৰ-বুদ্ধিৰ পৰিচয় ল'বলৈ বৰ হাবিয়াহ কৰি আছিল। কোৱা বাহুল্য, ৰাণী সেই সময়ত অবিবাহিতা আছিল। বিচাৰত উচিত সিদ্ধান্ত দিবলৈ তেওঁৰো সদায় বৰ ত্ৰুটী নকৰিছিল আৰু সেই বিষয়ত তেওঁৰো সুখ্যাতি কম নাছিল।

ৰাণী বিল্কিছৰ এনে গুণাৰ কথাও ৰজা ছোলেইমানৰ কৰ্ণগোচৰ হ'ল। তেওঁ ইয়াকো শুনিলে যে ৰাণী বিল্কিছ ৰূপে-গুণে অতুলনীয়া আৰু উচিত বিচাৰৰ প্ৰতিমূৰ্তি স্বৰূপা যদিও কিন্তু তেওঁ আল্লাক উপাসনা নকৰি সূৰ্য্য দেৱতাহে উপাসনা কৰে। ৰজা ছোলেইমানে তেওঁলৈ এদিন এখন চিঠি লিখি পঠালে। চিঠি পাই ৰাণী বিল্কিছে আৰব-সাগৰকৈ অনেক মূল্যবান বস্তু ৰজালৈ উপহাৰ দি পঠালে আৰু নিজেও এবাৰ ৰাজ-দৰবাৰ দৰ্শন কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিলে। ৰজাই ৰাণী বিল্কিছক নিজৰ ৰাজসভালৈ মাতলৈ আহ্বান জনালে।

ৰাণীৰ আগমনত ৰজা ছোলেইমানে তেওঁক যথাবিহিত সম্মানেৰে অভ্যৰ্থনা কৰিলে। ৰাজ-সভাত দুয়োৰো মাজত জ্ঞান-বিজ্ঞানৰ চৰ্চা

আৰু প্ৰতিযোগিতা চলিল। কথিত আছে যে ৰজা ছোলেইমানৰ জ্ঞানৰ পৰিসৰ পৰীক্ষা কৰিবলৈ ছেবাৰ ৰাণীয়ে হাতত দুধাৰি বিতোপন ফুলৰ মালা লৈ গৈছিল। দুয়োডাল মালা দুখন হাতত লৈ তেওঁ ৰজা ছোলেই-মানক প্ৰশ্ন কৰিছিল—'মহাৰাজ, আপোনাৰ জ্ঞান আৰু বিচাৰ-বুদ্ধিৰ কথা মানুহৰ মুখে মুখে। দূৰৈপৰাই আপুনি আজি কওকচোন বাৰু এই দুডাল মালাৰ কোন ডাল আচল ফুলৰ, কোন ডাল নকল ফুলৰ?'

ৰজা ছোলেইমানে খন্তেক চিন্তা কৰি কোঠালীটোৰ খিড়িকীবোৰ খোলাই দিয়ালে। তাৰ পাছত তাৰ পৰ্দাবোৰ এনেভাৱে দাঙি থোৱালে যাতে খিড়িকীয়েদি পোহৰ আৰু মুকলি বতাহৰ চলাচল হৈ থাকিব পাৰে। তাকে কৰাৰ অলপ সময়ৰ পাছতেই ফুলৰ গোন্ধ পাই মৌমাখি আহি ভৰি পৰিল। যিডাল আচল ফুলৰ মালা সেই ডালত মৌমাখি পৰিল আৰু যিডাল কৃত্ৰিম ফুলৰ মালা তাত নপৰিল। ৰজাই খন্তেকৰ ভিতৰতে কোনডাল আচল ফুলৰ আৰু কোনডাল কৃত্ৰিম ফুলৰ মালা চিনি উলিয়াবলৈ সমৰ্থ হ'ল।

ইতিমধ্যে আকৌ ৰজা ছোলেইমানেও নানা কৌশলেৰে ছেবাৰ ৰাণীৰ সিংহাসনখন অনাই তেওঁৰ দৰবাৰত সজাই ৰাখিছিল। ৰাণী বিল্কিছক আসন গ্ৰহণ কৰিবলৈ ইঙ্গিত দিয়াৰ লগে লগে তেওঁ ওচৰলৈ গৈ নিজৰ সিংহাসন চিনি পেলালে—আৰু তালৈ কেনেকৈ সেই সিংহাসন অনা হ'ল তাকে লৈ বিস্ময় প্ৰকাশ কৰিলে। এনেকুৱা আমোদ আৰু ৰং-ৰহইচৰ মাজত কিছুকাল গ'ল। দুয়োবো প্ৰতি দুয়োবো প্ৰীতিভাব গাঢ় হৈ আহিল। দুয়োবো যথাৰীতি বিয়া হৈ গ'ল। ভেতিয়া কৃতজ্ঞতাপূৰ্ণ অন্তৰেৰে ছেবাৰ ৰাণী বিল্কিছে সৰ্ব্বশক্তিমান আল্লাৰ ওচৰত প্ৰাৰ্থনা জনাই কলে—"হে প্ৰভু, মই নিজে নিজৰ প্ৰতি অন্যায় আচৰণ কৰি আহিছোঁ। মই আজি অখিল বিশ্বৰ প্ৰতিপালক এক আল্লাৰ ওচৰত ছোলেইমান ৰজাৰে সৈতে একেলগে আত্ম-সমৰ্পন কৰিলোঁ।" (কোৰাণ ২৭।৪৪)।

কোৰাণত আছে যে হজৰত ছোলেইমান এবাৰ সসৈন্যে গৈ নমলসকলৰ উপত্যকাত উপস্থিত হৈছিল। তাতে ভয় পাই নমলসকলৰ ৰজাই কৈছিল—'হে নমলবিলাক, তোমালোকে তুৰন্তে গৈ নিজ নিজ বাসস্থানত প্ৰবেশ

কৰাহক ; নহলে ৰজা ছোলেইমানে আৰু তেওঁৰ পৰাক্ৰমী সৈন্যসকলে তোমালোকক পদদলিত কৰিব পাৰে।' (কোৰাণ ২৭।১৮)।

নমলসকল ভয়ত পলাবলৈ ধৰাত তেওঁলোকৰ মনৰ ভাব-ভাষা বুজিব পাৰি হজৰত ছোলেইমানে তেনে নিষ্ঠুৰ কাৰ্য্যৰপৰা বিৰত হৈ তেওঁ যাতে পুণ্য কামত নিৰত থাকিব পাৰে তাৰ বাবে তেওঁক জ্ঞান আৰু বিবেচনা দিবলৈ আল্লাৰ ওচৰত অন্তৰৰ আকুল প্ৰাৰ্থনা নিবেদন কৰিছিল। (নমল শব্দৰ অৰ্থ পৰুৱাও।)

হজৰত দাউদৰ দৰে হজৰত ছোলেইমানেও অতি সৰল আৰু সাধু জীৱন যাপন কৰিছিল। তেওঁ হেনো নিজ হাতে মোনা তৈয়াৰ কৰি বিক্ৰী কৰিছিল আৰু তাৰ উৎপন্নৰপৰা ৰুবধান কিনি আনি মন্দিৰত দিছিল। তেওঁ সততে মন্দিৰলৈ গৈ দুখীয়া-দৰিদ্ৰসকলৰ লগত বহি তেওঁলোকৰ সাধাৰণ খাদ্য খাই সুখ পাইছিল। বিজনা সৰ্ব্বশক্তিমান আল্লাৰ কৃপাত তেওঁ ৰাজৰাজেশ্বৰ বুলি খ্যাতি লাভ কৰিব পাৰিছিল আৰু যাৰ অপাৰ কৰুণাৰ গুণত তেওঁ দৰবেশসকলৰ ভিতৰতো শ্ৰেষ্ঠ দৰবেশ বুলি পৰিগণিত হৈছিল—তেওঁৰ উদ্দেশ্যে সদায় তেওঁ প্ৰাৰ্থনা কৰিবলৈ কেতিয়াও পাহৰিছিল।

হজৰত ছোলেইমানক ৰজাতকৈও এজনা মহাজ্ঞানী নবী বুলিহে আজি জগতে জানে। তেওঁৰ হিতোপদেশবোৰ প্ৰবচনৰূপে চলি আছে। এইবোৰৰ সংখ্যা তিনি হেজাৰ বুলি জনা যায়। তেওঁ এহেজাৰতকৈও অধিক ধৰ্ম্ম-গীত ৰচনা কৰিছিল।

চলিচ বছৰ কাল মহা প্ৰতাপেৰে ৰাজত্ব কৰি হজৰত ছোলেইমান মৃত্যুৰ মুখত পৰে। তেওঁক হজৰত দাউদৰ পৱিত্ৰ কবৰৰ ওচৰতে সমাহিত কৰা হৈছিল।

——

হজৰত ঈছা

যীশু খৃষ্টৰ অন্য নাম যীচু, যচুৱা, জেছাছ, ঈছা আৰু ইবন্ মৰয়ম্ বা মেৰী-পুত্ৰ। অসমীয়াত তেওঁ যীশু খ্ৰীষ্ট বা যীচু, হিব্ৰুত যচুৱা, ইংৰাজী আৰু গ্ৰীকত জেচাচ আৰু আৰবীত ঈছা। তেওঁকেই মেৰী-পুত্ৰ বুলিও কোৱা হয়। এৱেঁই কোৰাণৰ হজৰত ঈছা।

জন্মৰেপৰা মৃত্যুলৈকে হজৰত ঈছাৰ কাৰ্য্যাৱলী অতিশয় ৰহস্যপূৰ্ণ। তেওঁৰ মাক মৰ্‌য়ম্ আছিল হজৰত মুছা আৰু হজৰত হাৰুণৰ বংশৰ জীয়ৰী। হজৰত হাৰুণ আৰু তেওঁৰ বংশধৰসকলক উপাসনা পৰিচালনাত সকলোৱে সমাজ পুৰোহিতৰ ৰূপে মান কৰিছিল। মৰ্‌য়মেও সেই একে সন্মান লাভ কৰিছিল। তেওঁৰ পিতাৰ নাম আছিল ইম্‌ৰাণ।

মৰয়মৰ মাকৰ নাম হেনা বা হেন্না। হেনা বহুত দিনলৈ বন্ধ্যা হৈ আছিল। তাৰ বাবে তেওঁৰ মনত বৰ দুখ। উপাসনালৈ তেওঁৰ ধাউতি প্ৰবল আছিল। সেই সময়ত পুত্ৰ সন্তান উপজিলে ধৰ্মৰ উদ্দেশ্যে ঈশ্বৰক দানত উৎসৰ্গা কৰা ধৰ্ম-প্ৰাণ লোকসকলৰ কাৰণে এটা ৰীতি হৈ পৰিছিল। এবাৰো প্ৰাৰ্থনাৰ সময়ত এদিন আল্লাৰ ওচৰত এইদৰে নিবেদন জনালে— "হে বিশ্বপিতা প্ৰভু, মোৰ গৰ্ভত যদি তুমি দয়া কৰি এটি পুত্ৰ সন্তান দিয়া তেন্তে তাক মই মুকলি মনেৰে তোমাৰ অৰ্থে উৎসৰ্গা কৰিম।"

[illegible] হেনাৰ গৰ্ভ-লক্ষণ দেখা দিলে। যথা সময়ত তেওঁৰ এজনী [illegible] প্ৰাৰ্থনা-কৰাৰ কথা— "হে প্ৰভু, [illegible] উৎসৰ্গা কৰিম বুলি ভাবিছিলো। [illegible]

[illegible]

পত্নী হেনাই পূৰ্ব্বৰ প্ৰতিশ্ৰুতিমতে মৰ্‌য়মক আল্লাৰ নামত উচৰ্গা কৰিলে। মৰ্‌য়মে উপাসনাৰ কামত ৰত থাকিবৰ কাৰণে হজৰত জাকেৰিয়াৰ তত্ত্বাৱধানত স্থানীয় উপাসনালয়ৰ লগত লগোৱা থকা 'এটি সৰু কোঠালীত' থাকিবলৈ ললে। কথিত আছে যে আল্লাৰ এজন সেৱিকা মৰ্‌য়মৰ কাৰণে অলৌকিক ধৰণে সেই কোঠালীলৈ খাদ্য-সম্ভাৰ আহি আছিল। তেওঁৰ আঠ বছৰ বয়সত মাক হেনাৰ মৃত্যু হ'লত তেওঁ উপাসনাতেই অহৰহ মজি থাকিবলৈ ধৰিলে। এদিন হজৰত জাকেৰিয়াই মৰ্‌য়মৰ কোঠালীলৈ গৈ ভাত খোৱা বস্তবোৰ দেখি সুধিলে—'তুমি এইবোৰ ক'ৰপৰা আনিছা?' মৰ্‌য়মে কলে, 'এইবোৰ দয়াময় আল্লাৰপৰা আহিছে। আল্লাৰ ককণা হলে—জীৱিকাৰ বাবে চিন্তা নাই।'

ক্ৰমে মৰ্‌য়মৰ ভৰ যৌৱন উপস্থিত হ'ল। এদিন তেওঁ উপাসনাত মগ্ন থাকোঁতে এটা আচৰিত ঘটনা ঘটিল। ফিৰিস্তা জিব্ৰাইলে তেওঁৰ সন্মুখত উপস্থিত হৈ কলেহি—'হে মৰ্‌য়ম্, আল্লা তোমাৰ প্ৰতি প্ৰসন্ন হৈছে। নাৰীসকলৰ মাজত তুমি সঁচাকৈয়ে ধন্যা। তুমি ঠিককৈ জানিবা যে মই আজি বিশ্ব-বিধাতা আল্লাৰ দ্বাৰা প্ৰেৰিত হৈহে ইয়ালৈ আহিছোঁ। মই তেওঁৰপৰা তোমাৰ কাৰণে এটা শুভ বাতৰি লৈ আহিছোঁ। বাতৰিটো হ'ল এই যে অচিৰে তোমাৰ এটি পুত্ৰ উপজিব—তেওঁৰ নাম হব মছিহ বা মৰয়ম্‌-পুত্ৰ। তেওঁ বিশ্ব-বন্দ্য হব; তোমাৰ সেই পুত্ৰই কেঁচুৱা কালৰপৰাই মানুহৰ লগত কথা কব পাৰিব আৰু 'দুনিয়াৰ সাধুপুৰুষসকলৰ ভিতৰত হ'ব। এতেকে তুমি ধন্যা হ'বা।'

মৰ্‌য়মে কলে, 'আজিলৈকে মোক কোনো পুৰুষে স্পৰ্শ কৰা নাই। গতিকে মই ব্যভিচাৰিণীও হোৱা নাই।' তেন্তে মোৰ পুত্ৰ [illegible] (কোৰাণ ১৯।২০)।

[illegible]

[illegible]

সম্পৰ্কে সমাজত নানা প্ৰকাৰ গল্প-গুজৱ বাহিৰ হ'ল। বিশেষকৈ ইহুদীবিলাকে তেওঁৰ বিৰুদ্ধে নানা কু-কথা আৰু অপবাদ ৰটি ফুৰিবলৈ ধৰিলে। মৰ্‌য়ম বিমোৰত পৰিল। তেওঁ দূৰলৈ গুচি যাবলৈ স্থিৰ কৰিলে। ঘৰৰপৰা তেওঁ ওলাই গ'ল। ক'লৈ গ'ল তেওঁ নিজেই নাজানিলে।

অনাই-বনাই ফুৰি থাকোঁতে ভাগৰত ক্লান্ত হৈ এদিন তেওঁ দুপৰীয়া এজোপা খাজুৰ গছৰ ছাঁত বহিল; খাজুৰজোপা আছিল শুকান আৰু ঠাই-ডোখৰো ওখ। তাৰে কিছু সময়ৰ পাছত তেওঁৰ প্ৰসৱ-বেদনা আৰম্ভ হ'ল। সহায় কৰিবলৈ ওচৰত কোনো মা-মনিচ নাছিল। নিতান্ত নিৰুপায় হৈ বেদনা-কাতৰ অন্তৰেৰে তেওঁ কৈ উঠিল—'হায়, এইবোৰ কষ্ট খোৱাতকৈ ইয়াৰ বহুত দিন পূৰ্ব্বে যদি মোৰ মৃত্যু হ'লহেঁতেন! মই যদি বিস্মৃতিৰ গৰ্ভত আগতেই লীন যাব পৰিলোঁহেঁতেন!' পিয়াহত তেওঁৰ তেতিয়া কণ্ঠ শুকাই গৈছিল। (কোঃ ১৯।২৩)।

তেতিয়া তেওঁ-বহি-থকা ঠাইডোখৰৰ দাঁতিৰ নামনিৰপৰা কোনোবাই যেন কৈ উঠিল—'কাতৰ নহবা মৰ্‌য়ম! দীনবন্ধু আল্লাহতালাই তোমাৰ পদ-প্ৰান্তত এটা অপূৰ্ব্ব নিজৰাৰ সৃষ্টি কৰি ৰাখিছে। তোমাৰ মূৰৰ ওপৰত থকা শুকান খাজুৰেও তেওঁৰ ইচ্ছাতে তোমাক মধুৰ ফল দান কৰিব। বৃক্ষ-মূলত স্পৰ্শ কৰিলেই তুমি সেই ফল তোমাৰ হাতৰ ওপৰত সৰিপৰা দেখিবলৈ পাবা। নিজৰাৰ নিৰ্ম্মল জল আৰু ৰসাল পকা খাজুৰে তোমাৰ তৃষিত আৰু ক্ষুধাৰ্ত্ত অন্তৰ শীতল কৰিব। এই জনমানৱশূন্য ঠাইতো যদি কোনো লোকে অকস্মাৎ তোমাক ইয়াত এই অৱস্থাত বিচাৰি পাই কিবা প্ৰশ্ন কৰে তেন্তে তুমি ইয়াকে মাথোঁ কবা যে তুমি আল্লাৰ নামত উপবাসে থাকি ইয়াত ব্ৰত পালিছা আৰু আজিৰ দিনত কাৰো লগত কথা নোকোৱা।' সেই ঠাইতেই যথা-সময়ত মৰ্‌য়মৰ এটি পুত্ৰ উপজিল। (কোঃ ১৯।২৪-২৬)।

সেই সময়ত জেৰুজালেমৰ ৰজা আছিল হেৰড। নিষ্ঠুৰতাত তেওঁক কোনেও চেৰ পেলাব পৰা নাছিল। তেওঁৰ মুখৰ বাণীয়ে আছিল আইন আৰু সেই আইনৰ বিধান কোনেও কেতিয়াও [illegible] সাহ নকৰিছিল।

এদিন পূব ফালৰপৰা জনবিয়েক জ্যোতিষী পণ্ডিতে আহি তেওঁক [illegible] 'মহাৰাজ, ইহুদীবিলাকৰ নতুন ৰজা এজন [illegible] আমি আকাশত [illegible] উদয় হোৱা [illegible]

পাৰিছো। তেওঁ পৃথিৱীত স্বৰ্গৰাজ্য স্থাপন কৰিব। তেওঁক আমি পূজা কৰিবলৈ আহিছো। তেওঁ ক'ত আছে আপুনি জানে নে?'

কথা শুনি ৰজা হেৰডৰ গা জিকাৰ খাই উঠিল। পৃথিবীত স্বৰ্গৰাজ্য স্থাপন? তাৰ মানে, মোৰ পতন আৰু মোৰ ৰাজত্ব অৱসান। শিশু জন্মিছে মোৰ নিজৰ ৰাজ্যতে!—ইয়াকে ভাবি গভীৰ বিমৰ্ষিৰ কৰি তেওঁ পণ্ডিত কেইজনক শিশুৰ অন্বেষণত যাবলৈ কলে। লগতে শিশুটি বিচাৰি পালে ঘূৰি আহি তেওঁকো খবৰ দিবলৈ নিৰ্দেশ দিলে। পণ্ডিতকেইজন গ'ল, মৰ্য়ম আৰু মৰ্য়ম-পুত্ৰকো বিচাৰি পালে আৰু তেওঁলোকক অভিবাদন জনালে। সপোনত এটা ফিৰিস্তাই আহি তেওঁলোকক কলে—'তোমালোকে পুনঃ হেৰডৰ ওচৰলৈ ঘূৰি নাযাবা। তেওঁ এই শিশু ওপজা খবৰ পালে, শিশু আৰু বাচি নাথাকে। তেওঁ ইয়াক হত্যা কৰিব।'

পণ্ডিতকেইজন ঘূৰি নোযোৱা দেখি দিনদিয়েকৰ পাছত ৰজা হেৰড খঙত জ্বলি উঠিল। তেওঁ তেতিয়া বেথেলহামত থকা দুবছৰৰ তলৰ সকলো শিশু হত্যা কৰিবলৈ আদেশ জাৰি কৰিলে। বেথেলহামত শিশু-হত্যাৰ বীভৎস কাণ্ড আৰম্ভ হ'ল। দিন-চেৰেকৰ ভিতৰতে দেশৰ অগণিত সবল শিশু মৃত্যুৰ মুখত পৰিল।

সেই সময়ত মৰ্য়মৰ কোনো এজন সম্বন্ধীয় ভায়েক ইউচুফেও সপোনত আদেশ পালে—তেওঁ মৰ্য়ম্ আৰু তেওঁৰ নৱজাত শিশুটিক সেই ঠাইত লগ ধৰি—তেওঁলোকক লৈ মিছৰলৈ যাব লাগে। ইউচুফে স্বপ্নাদেশমতে কাম কৰিলে। মৰ্য়ম্ আৰু শিশুটি লৈ তেওঁ মিচৰলৈ যাত্ৰা কৰিলে। ৰজা হেৰডৰ অভিপ্ৰায় পূৰ্ণ নহ'ল। শিশুটিৰ নাম ৰখা হ'ল ঈছা।

কিছুকাল পাছত ৰজা হেৰডৰ মৃত্যু হ'লত ইউচুফে পুনঃ এদিন স্বপ্না-দেশ পালে—'যোৱা, তুমি আকৌ মাক মৰ্য়ম্ আৰু শিশু ঈছাক লৈ ইস্ৰাইলসকলৰ বাসস্থানলৈ যাত্ৰা কৰা।' তেওঁ যথাবিহিতভাৱে কাম কৰিলে। তেওঁলোকে আহি নাছৰথ্ নামে ঠাইত নিজৰ ইষ্ট-কুটুম্ব-বংশ-পৰিয়ালক লগ পালেহি।

পুত্ৰসহ মৰ্য়মক দেখি ওচৰ পাজৰৰ মানুহবোৰে কৰবলৈ ধৰিলে—'মৰয়ম্, তুমি কঁচাকৈয়ে বৰ অঘটন ঘটালা। তোমাৰ পূৰ্বপুৰুষ হজৰত হাৰুণৰ এনেকুৱা লোক নাই।' তোমাৰ পিতা ইমৰাণৰো কোনো দুৰ্নাম

নাই। তোমাৰ মাতৃকো কোনেও ব্যভিচাৰিণী বুলি কব নোৱাৰে। কিন্তু সেই বংশৰ লোক হৈ তুমি এইখন কি কাণ্ড কৰিলা ?' (কোঃ ১৯।২৭-২৮)।

মৰ্য়মে তেনে প্ৰশ্নবোৰৰ উত্তৰ দিছিল কেৱল তেওঁৰ পুত্ৰক ঈছালৈ আঙুলিয়াই; অৰ্থাৎ ঈছাই কব বুলি ইঙ্গিত দি। মানুহবোৰে তেতিয়া প্ৰায়ে কৈছিল—'ওঁঠ চেপিলে গাখীৰ ওলোৱা এই কেঁচুৱা ল'ৰাটোৰ লগত আমি কি কথা পাতিম? সি এনে অগম-গম কথাৰ কি ভুংভটং পাব? বোলে 'পৰগুইৰ কথা কয় কালিৰ ছবালী।' তুমি এইদৰে সাৰিব নোৱাৰিবা।'

এনেবোৰ কথাৰ সন্নিধানত ঈছাই টপৰ কৰে উত্তৰ দিছিল, 'তোমালোকে নিশ্চয়কৈ জানিবা, মই আল্লাৰ সেৱক। তেওঁ মোক ধৰ্ম-গ্ৰন্থ দান কৰিছে আৰু নবী পাতিছে। মই য'তেই নাথাকোঁ লাগিলে, তেওঁ মোক আশীৰ্ব্বাদ কৰিব। যিমান দিন মই জীয়াই থাকিম তেওঁৰ উপাসনা কৰিম আৰু তাকে শিক্ষা দিয়াই হব মোৰ কৰ্ত্তব্য। মই মোৰ দুখুনী আইৰ প্ৰতি সদায় মোৰ কৰ্ত্তব্য পালন কৰিম। মোৰ ওপৰত, মোৰ জন্ম-দিন, মোৰ মৃত্যুৰ দিন আৰু মই যিদিনা পুনৰ্জীৱিত হম সেই দিন কেইটাৰ ওপৰত পৰম প্ৰভু আল্লাই শান্তি বৰিষণ কৰক।' (কোৰাণ—১৯-৩০-৩৩)। মৰ্য়ম্-পুত্ৰ ঈছাই এইদৰে সত্য কথা কলে যদিও—কোনেও তাক সেই মুহূৰ্ত্তত বিশ্বাস নকৰিলে! সকলোৱে হাহি, ঠাট্টা কৰি উৰুৱাই দিলে।

(২)

ঈছা সৰুৰেপৰা গহীন-গম্ভীৰ আৰু চিন্তাশীল আছিল। তেওঁ কেতিয়াবা কেতিয়াবা নিভৃত স্থানত অকলে নীৰৱে ঈশ্বৰ চিন্তাত মগ্ন হৈ পৰিছিল। তেওঁ বৰ সাধু প্ৰকৃতিৰ আৰু দয়ালু আছিল কাৰণে সকলো লোকে তেওঁক বৰকৈ মৰম কৰিছিল।

বেথেলহাম জেৰুজালেমৰ দক্ষিণফালে আৰু জুডিয়া প্ৰদেশৰ অন্তৰ্গত। তাৰ উত্তৰ ফালে গেলিলি। নাছাৰাথ তাৰেই এখন সৰু চহৰ। ৰজা হেৰডৰ মৃত্যুৰ পাছত যাকৰ লগত যেতিয়া হজৰত ঈছা মিছৰৰপৰা নাছাৰাথ পালেহি তেতিয়া তাঁত থকা ইহুদী পণ্ডিতবিলাকৰ লগত তেওঁৰ সৰ্বদে তৰ্ক-বিতৰ্ক হবলৈ ধৰিলে। বুঢ়া বুঢ়া ইহুদী পণ্ডিতবোৰে হজৰতৰ

সপত তৰ্কত হাৰি যবকৈ অপমান বোধ কৰিছিল। তেওঁলোকে তেতিয়া সঙ্ঘবদ্ধভাৱে ডেকা পণ্ডিত হজৰত ঈছাৰ বিৰুদ্ধে যিমান পাৰে কুৎসা ৰটনা কৰি ফুৰিবলৈ ধৰিলে। হজৰতে কিন্তু তেওঁলোকৰ কথালৈ অকণো ভ্ৰূক্ষেপ কৰা নাছিল।

হজৰত ঈছাই তেওঁক যেদি ধুৰা এই পৰিব্ৰাজকজনাৰ আঁতৰি গৈ মাজে-সময়ে নিৰ্জ্জন স্থানত ঈশ্বৰ-চিন্তা কৰিছিল। অনাহাৰে-উপবাসে থাকি ঈশ্বৰৰ উপাসনা কৰা তেওঁৰ এটা প্ৰিয় কৰ্ম্ম হৈ পৰিছিল। এইদৰে এবাৰ জেৰুজালেমৰ গিৰি-প্ৰান্তত তেওঁ গৈ একেৰাহে চল্লিচ দিন অনাহাৰে-উপবাসে থাকি ঈশ্বৰ-চিন্তাত মগ্ন আছিল আৰু তাতেই তুষ্ট হৈ আল্লাহতালাই তেওঁক ধৰ্ম্মৰ বিশেষ জ্ঞানেৰে বিভূষিত কৰিছিল।

ত্ৰিচ বছৰ বয়সত ঈছাই নবীত্ব লাভ কৰে। আল্লাৰ অনুগ্ৰহত তেওঁ ধৰ্ম্মগ্ৰন্থ আৰু ধৰ্ম্মৰ বিশেষ জ্ঞান লাভ কৰিলে। তাওৰাৎ গ্ৰন্থ তেওঁৰ আয়ত্ত হ'ল আৰু আল্লাৰ কৃপাত তেওঁ ইঞ্জিল-গ্ৰন্থ লাভ কৰিলে। তাৰ পাছত তেওঁ ধৰ্ম্ম-প্ৰচাৰ আৰম্ভ কৰে। তেওঁ জয়জয়তে জৰ্দ্দন নদীৰ তীৰৰ গাঁওবোৰতে ধৰ্ম্ম-প্ৰচাৰ আৰম্ভ কৰিলে।

বিশ্বাসহীন বাসিন্দা ইস্ৰাইলবিলাকৰ মনত বিশ্বাস স্থাপন কৰিবৰ কাৰণে তেওঁ আল্লাৰ কৃপা লাভ কৰি তেওঁলোকক নানা প্ৰকাৰৰ অলৌকিক কাম কৰি দেখুৱাইছিল। কথিত আছে যে তেওঁ এদিন মাটিৰে চৰাই এটা সাজি লৈ তাত প্ৰাণ দান দি উৰুৱাই দিছিল। এইদৰে পচি-গেলি থকা দুৰাৰোগ্য কুষ্ঠৰোগীক হাতৰ এটি মাত্ৰ স্পৰ্শৰ দ্বাৰা ৰোগমুক্ত কৰি, জন্মান্ধক দৃষ্টিশক্তি দান কৰি আৰু মৃতলোকক সঞ্জীৱিত কৰি তেওঁ সকলোকে স্তম্ভিত কৰিছিল। (কোৰাণ ৩।৪৮)। কিন্তু ইস্ৰাইলসকলে তেওঁৰ ওপৰত ঈমান (বিশ্বাস) নানিলে। বহুতে তেওঁক যাদুকৰ বুলিয়ে গ্ৰহণ কৰি থাকিল। তেওঁৰ সেই অলৌকিক কাৰ্য্যবোৰৰ অৰ্থও বহুতে ৰূপক-মাত্ৰ অৰ্থাৎ চক্ষুদান দিয়া মানে জ্ঞান বিতৰণ কৰা, ৰোগমুক্ত কৰা মানে সন্দেহ ভঞ্জন কৰা, সঞ্জীৱিত কৰাৰ তাৎপৰ্য্য জ্ঞানৰ আলো জ্বলাই আন্ধাৰ দূৰ কৰা ইত্যাদি বুলি কব খোজে। সি যি হওক, নানা অনুকূল আৰু প্ৰতিকূল অৱস্থাৰ মাজেদি তেওঁ যে ধৰ্ম প্ৰচাৰ আৰম্ভ কৰিব পাৰিছিল, তাত অকণো সন্দেহ নাই।

সেই সময়ত জেৰুজালেমৰ ধৰ্ম্ম-মন্দিৰৰ পিৰালি আৰু প্ৰাঙ্গণতে মুক্ত-ভাৱে পশু-পক্ষীৰ কিনা-বেচা চলিছিল। তাকে দেখি হজৰত ঈছাই পোনতে বৰ বিৰক্তি প্ৰকাশ কৰি সেই কাৰ্য্য বন্ধ কৰিবলৈ যত্ন কৰিছিল; কিন্তু কৃতকাৰ্য্য নহ'ল। তেতিয়া তেওঁ তেওঁৰ মতাৱলম্বী লোক কিছুমানৰ সহায়ত বলেৰে সেই কাৰ্য্য বন্ধ কৰিলে। তাকে কৰোঁতে দোকানী আৰু থৰিদ্দাৰ উভয় পক্ষৰ লোকৰ লগত তেওঁৰ সংঘৰ্ষ হয়। এই বিক্ষুব্ধ লোকসকলৰ লগত লগ হৈ ইহুদীবিলাকে হজৰত ঈছাৰ বিৰুদ্ধে এটা প্ৰবল শক্তি গঠন কৰি তেওঁৰ প্ৰাণ-হানি কৰিবলৈ ঘোৰ ষড়যন্ত্ৰ কৰিলে।

হজৰত ঈছাই ইহুদীবিলাকৰ বাহ্যিকতাপূৰ্ণ নীৰস ক্ৰিয়া-কাণ্ডবোৰৰ নিৰৰ্থকতা সম্বন্ধে দেখাদেখিকৈ প্ৰচাৰ কৰিবলৈ ধৰিলে। তেওঁ মানুহক অন্তৰ পৱিত্ৰ ৰাখি গুণৰ মাত্ৰ পূজা কৰিবলৈ উপদেশ দিলে। তেওঁ নিজকে নবী বুলি প্ৰচাৰ কৰি ইহুদীবিলাকৰ আড়ম্বৰপূৰ্ণ অনুষ্ঠানবোৰক নিন্দা কৰিবলৈ ধৰাত ইহুদীবিলাক তেওঁৰ প্ৰাণ-বৈৰী হবলৈ ওলাল। যাজক আৰু পণ্ডিত শ্ৰেণীৰ লোকসকল বিশেষকৈ তেওঁৰ ঘোৰ শত্ৰুৰূপে থিয় হ'ল।

ধোবা (কাৰো কাৰো মতে কৈবৰ্ত্ত) সম্প্ৰদায়ৰ মাত্ৰ বাৰজন শিষ্যই প্ৰথমে হজৰত ঈছাৰ ধৰ্ম্ম-বাণী সৰ্ব্বান্তঃকৰণে গ্ৰহণ কৰিছিল। পিছত ক্ৰমে জুডিয়া, ছামাৰিয়া আৰু গেলিলিৰ অধিবাসীসকলে দলে দলে গৈ গৈ তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰিবলৈ ধৰিলে।

হজৰত ঈছাই প্ৰচাৰ কৰিলে যে হজৰত মুছাৰ ধৰ্ম্ম-গ্ৰন্থ তাওৰাত তেওঁ সমৰ্থন কৰে, কিন্তু তাত থকা কিছুমান নিষিদ্ধ বিষয় তেওঁ বৈধ ৰূপে ঘোষণা কৰিলে। সমাজ আৰু ধৰ্ম্মৰ এনেবোৰ সংস্কাৰ হাতত লোৱাত ইহুদীবিলাকে তেওঁক সমাজদ্ৰোহী আৰু ধৰ্ম্ম-বিদ্বেষী বুলি তেওঁৰ বিৰুদ্ধে অভিযোগ আনিবলৈ ষড়যন্ত্ৰ কৰিলে। ধৰ্ম্মৰ বাণী প্ৰচাৰ কৰোঁতে হজৰত ঈছাই প্ৰায়ে কৈছিল যে পৃথিৱীত স্বৰ্গৰাজ্য প্ৰতিষ্ঠা হব। ইহুদী-বিলাকে ইয়াৰ অৰ্থ এনেভাৱে কৰিছিল যে হজৰত ঈছাই শান্তিময় ৰাজ্য-খনত ৰোমান শাসনৰ ঠাইত অন্যধৰণৰ শাসন প্ৰবৰ্ত্তাবলৈও যত্ন কৰিছে। গতিকে তেওঁ ৰাজদ্ৰোহ আচৰণ কৰিছে। সমাজ-দ্ৰোহ, ধৰ্ম্মদ্ৰোহ আৰু ৰাজ-দ্ৰোহ তিনিওটা অপৰাধত তেওঁক অভিযুক্ত কৰা হ'ল। হজৰত-

ঈছাৰ স্বৰ্গৰাজ্যৰ অৰ্থ যে শান্তি আৰু ন্যায়ৰ ওপৰত প্ৰতিষ্ঠিত ধৰ্ম্মৰাজ্য সেইটো ইহুদী পণ্ডিত আৰু ধৰ্ম্মযাজকসকলে বুজিছিল আৰু বুজায়ে নহয়, স্পষ্টকৈ বুজিছিল ; কিন্তু বুজিও তাৰ ভ্ৰমাত্মক অৰ্থ প্ৰচাৰ কৰিছিল।

এইধৰে হজৰত ঈছাৰ বিৰুদ্ধে ষড়যন্ত্ৰ ঘনীভূত হৈ আহিল। শত্ৰুৰ দ্বাৰা তেওঁ পৰিবেষ্টিত হ'ল। এনে দুৰ্যোগ বিপদৰ কালত তেওঁৰ সাৰথি হ'ল উপৰোক্ত বাৰজন শিষ্য।

বিপদ অকলে নাহে। এদিন ইহুদা নামে শিষ্য এজনে তেওঁৰ লগৰীয়া অন্য শিষ্য এজনৰ ধন চুৰ কৰিছিল। তেওঁক ধৰি হজৰতৰ ওচৰলৈ অনাত হজৰতে কলে—'মানুহে ধন আৰু আল্লাহ উভয়কে একেসময়তে ভাল পাব নোৱাৰে;' তাতে ইহুদাই মৰ্ম্মান্তিক অপমান পাই খঙত টিঙিবি-তুলা হৈ হজৰত ঈছাক প্ৰাণে মাৰিবলৈ ছল চাই ফুৰিবলৈ ধৰিলে।

ইকালে স্থানীয় ৰোমান শাসন-কৰ্ত্তা পাইলেটৰ ওচৰত হজৰত ঈছাৰ বিৰুদ্ধে মোকৰ্দ্দমা ৰুজু কৰা হ'ল যে তেওঁ দেশৰ আধিপত্য দাবী কৰিছে, ধৰ্ম্ম-গ্ৰন্থ তাওৰাতৰ বিৰুদ্ধে বিধি-ব্যৱস্থা প্ৰচাৰ কৰি ফুৰিছে আৰু ইহুদী ধৰ্ম্ম-প্ৰচাৰক আৰু ধৰ্ম্মানুষ্ঠানসমূহৰ দুৰ্নাম উলিয়াইছে। শাসনকৰ্ত্তা পাইলেটে হজৰত ঈছাৰ নিষ্কলুষতাৰ কথা জানিও জনপ্ৰবাদত নিৰ্ভৰ কৰি আৰু হজৰত ঈছাৰ বিৰুদ্ধে দেশত হোৱা তুমুল আন্দোলনলৈ লক্ষ্য কৰি তেওঁক শূল-দণ্ডৰ আদেশ দিলে।

এইহেন বিপদৰ সময়ত হজৰত ঈছাই তেওঁৰ প্ৰিয় শিষ্যবৰ্গকো ওচৰত নাপাই আন্ধাৰত উচ্চৈঃস্বৰে প্ৰাৰ্থনা কৰি কৈছিল—'এলি এলি লামা ছবকৃতানি'—অৰ্থাৎ 'হে প্ৰভু, হে মোৰ প্ৰভু, মোক তুমি পৰিত্যাগ কৰিলা কিয় ?' 'পূৰ্ব্ব-শত্ৰু মনে জানি' পাষণ্ড ইহুদাই ইহুদীবিলাকৰ পৰা বিত্তৰ অৰ্থ ভেটী খাই তেওঁক শত্ৰুৰ হাতত ধৰাই দিলে।

সেই কালত ক্ৰুচত গজাল মাৰি শূল-দণ্ড দিয়াৰ প্ৰথা প্ৰচলিত আছিল। হজৰত ঈছাকো তাকে কৰিবলৈ স্থিৰ কৰা হ'ল। যাক মৃত্যু-দণ্ড দিয়া হৈছিল তাক তিনি দিনলৈ ক্ৰুচত গজাল মাৰি থাবি থোৱা হৈছিল। কাৰণ ক্ৰুচত দিলে কোনো লোক তিনি দিন পৰ্য্যন্ত নমৰাকৈ থাকিব পাৰে বুলি প্ৰমাণ পোৱা হৈছিল। আকৌ সপ্তাহৰ ভিতৰত শনি বাৰটো পুণ্য দিন হোৱা কাৰণে সেইদিনা ইহুদী প্ৰথা মতে কাকো শূলত

দিয়াৰ নিয়ম নাছিল। আনকি কোনোবা ক্ৰুচত থাকিলেও তেওঁক সেই-দিনা নমাই অনা হৈছিল।

হজৰত ঈছাৰ মৃত্যু-দণ্ডৰ আদেশ দিয়াৰ পাছত পাইলেটৰ মনত বিষম উদ্বেগ আৰু অশান্তি উপজিছিল। নিৰপৰাধ সাধু লোক এজনক জনশ্ৰুতি আৰু জনমতৰ বশবৰ্তী হৈ মৃত্যু-দণ্ডৰ আদেশ দি তেওঁৰ মনত ঘোৰ অনুশোচনা আহিল। তেওঁ এই মহা অপৰাধৰ প্ৰতিকাৰ কিদৰে কৰিব পাৰে তাৰে চিন্তাত তেওঁৰ দিন নাযায়, ৰাতি নুপুৱায় হ'ল। অন্তত তেওঁৰ আদেশত হজৰত ঈছাক শুকুৰবাৰে আবেলি ক্ৰুচ-বিদ্ধ কৰা হ'ল। তাৰ পিছ দিনা শনিবাৰ (Day of Sebath) আছিল কাৰণে তেওঁক দোপৰমোকালিতে নমাই আনিব লগাত পৰিল। এই কাৰ্য্যৰ দ্বাৰা কোনো প্ৰকাৰে যাতে হজৰত ঈছাৰ প্ৰাণ বাচে সেয়ে আছিল পাইলেটৰ মনৰ আকাঙ্ক্ষা। সেই মতে শনিবাৰে প্ৰত্যুষতে হজৰত ঈছাক ক্ৰুচৰপৰা নমাই অনা হ'ল।

খ্ৰীষ্টানসকলৰ বিশ্বাস—ক্ৰুচতেই হজৰত ঈছাৰ মৃত্যু হৈছিল আৰু মৃত্যুৰ পাছত আল্লাই তেওঁক পুনৰ্জীৱিত কৰিছিল। তেওঁলোকৰ মতে ক্ৰুচৰপৰা নমাই অনাৰ পাছত প্ৰথম পৰিষ্কাৰ শুভ্ৰ বস্ত্ৰেৰে ঢাকি তেওঁক সমাহিত কৰা হৈছিল। তিনি দিনৰ মূৰত তেওঁৰ মৃতদেহ কবৰৰপৰা অদৃশ্য হয়। তাৰ পাছত আকাশৰ পৰা কোনো এক শুভ্ৰ-জ্যোতি-আত্মায়ী ফিৰিস্তা নামি আহি কৈছিল—'যীশু সমাধিত নাই, তেওঁক তাৰপৰা তুলি অনা হৈছে।'

ঈছাৰ পাছত এই ঘটনা প্ৰচাৰ হোৱাত চাৰিওফালে ঘোৰ চাঞ্চল্যৰ সৃষ্টি হ'ল। তেতিয়া এদিন তেওঁ শিষ্যসকলক দেখা দি কলে—'তোমা-লোকে গেলিলীলৈ গুচি যোৱা, মোক তাতে দেখিবলৈ পাবা।' তেওঁ-লোক [illegible] নগৰত যীশুৱে [illegible] তেওঁলোকক দৰ্শন দিলে। তেওঁ শিষ্যসকলক কলে—'মই তোমালোকক যি বিধি-ব্যৱস্থা দি আহিছোঁ, সেইমতেই মানি চলিবা। [illegible] তোমালোকৰ লগত মোৰ সদায় [illegible]

কোৰাণৰ মতে ইহুদীবিলাকে হজৰত ঈছাৰ বিৰুদ্ধে অভিসন্ধি (কৌশল) কৰিছিল; কিন্তু আল্লাৰ কৌশল বুজিব কোনে? কৌশলীসকলৰ ভিতৰত তেওঁ শ্ৰেষ্ঠতম কৌশলী। তেওঁ হজৰত ঈছাক কৌশলেৰে ৰক্ষালে। 'সিহঁতে মৰ্য়ম্-পুত্ৰ ঈছাক মাৰিব পৰা নাই আৰু ক্ৰুচত দিয়াও তেওঁ মৰাও নাই, বৰং সিহঁতৰ মনত মৰা বুলি এনে সন্দেহ মাত্ৰ উপজোৱা হৈছিল। আল্লাই তেওঁক নিজৰ ওচৰলৈ তুলি নিলে। আল্লা নিশ্চয় মহা শক্তিশালী আৰু মহাজ্ঞানী।' (৩।৫৪।২২।১৫৭-১৫৮, কোৰাণ) মুছলিম-সকলৰ মতে হজৰত ঈছা ক্ৰুচত অকল নমৰাকৈহে যে আছিল এনে নহয়, তেওঁলোকৰ বহুতৰ মতে তেওঁ এই ঘটনাৰ বহুকাল পাছলৈ জীয়াই থাকি ছকুৰি বছৰ বয়সতহে পৰলোক প্ৰাপ্ত হৈছিল। খ্ৰীষ্টানসকলৰ মতে তেওঁ ৩৩ বছৰত ক্ৰুচ-বিদ্ধ হৈ মৃত্যু হয়, আৰু পাছত পুনৰ্জীৱিত হৈ দৃশ্যমানভাৱে স্বৰ্গ গমন কৰি পথত অদৃশ্য হয়।

(৩)

হজৰত ঈছাৰ জন্ম আৰু মৃত্যু উভয়ে ৰহস্যাবৃত। পুৰুষ-সংসৰ্গ-বিহীনভাৱে কুমাৰী অৱস্থাতেই মৰ্য়মে পুত্ৰ-সন্তান প্ৰসৱ কৰাটো বহুতে সমৰ্থন নকৰে। কাৰো কাৰো মতে তেওঁৰ বৃদ্ধ পতিৰ নাম আছিল জোছেফ। হজৰত ঈছা তেওঁৰে পুত্ৰ। স্বয়ং ঈশ্বৰে হজৰত ঈছা নাইবা ভগৱানৰ পুত্ৰ ৰূপে জন্ম গ্ৰহণ কৰিছিল আৰু তেওঁৰ পিতৃত্বৰ কাৰণে জোছেফ আছিল নিমিত্তমাত্ৰ। খ্ৰীষ্টানসকলৰ অধিকাংশৰে এনে মত। ইহুদীবোৰে মৰ্য়মৰ নানা প্ৰকাৰ অপবাদ ৰটি কৰিছিল। এওঁলোকে হজৰত আছেফ-বিয়াৰ ঘৰে মহান ব্যক্তিৰ নামো এই ঘটনাত লাঞ্ছিত হোৱা বুলিছিল। হজৰত মহম্মদে এই প্ৰসঙ্গত স্পষ্ট কথাৰে সমিধান দিছিল যে হজৰত ঈছাৰো জন্ম অন্যান্য শিশুৰ দৰেই হৈছিল। তাত কোনো প্ৰকাৰ অপবাদ বা ব্যভিচাৰিতা থকাৰ নোৱাৰে।

তেওঁৰ জন্মৰ দৰে মৃত্যু সম্পৰ্কেও নানা যুক্তি আছে [illegible]। কোনো কোনো মুছলিম পণ্ডিতৰ মতে [illegible] [illegible]

নাপালে। আল্লাৰ ইচ্ছাত দুৰ্ম্মতি ইহুদাহে হজৰত ঈছাৰ আকাৰলৈ ৰূপান্তৰিত হ'ল আৰু তেৱেঁ ক্ৰুচ-বিদ্ধ হৈ প্ৰাণ এৰিলে। ইহুদীসকলে আল্লাৰ কৌশলত ইহুদাকে ঈছা-ভ্ৰম কৰি ক্ৰুচত তেওঁৰ প্ৰাণ ললে।

খ্ৰীষ্টানসকলৰ কিছুমানৰ মতে যীশু-খ্ৰীষ্টক আৰু অন্য দুজন অপৰাধীৰে সৈতে ক্ৰুচ-বিদ্ধ কৰা হৈছিল। যেতিয়া ক্ৰুচৰপৰা নমাই অনা হৈছিল তেতিয়া দেখা গৈছিল যে যীশুৰ সঙ্গী দুজনৰ প্ৰাণবায়ু আগতে উৰি গৈছিল। যীশুকো মৰা বুলি ভাবি ইহুদীবিলাকে খৰচৰ ভয়ত তিনিওটা মৰা-শকে কবৰ দিবলৈ যীশুৰ এজন ধনী শিষ্যৰ হাতত শোধাই দিলে। সেই শিষ্যজনে তিনিওকে কবৰ দিবলৈ নিলে আৰু হজৰত ঈছাক আহল-বহল কবৰ এটাত সমাধিস্থ কৰিলে। সেই কবৰটো এটা প্ৰকাণ্ড শিল কাটি তৈয়াৰ কৰা হৈছিল আৰু কবৰৰ মুখখনত এটা ডাঙৰ পাথৰ দি বন্ধ কৰা হৈছিল। তিনি দিনৰ পাছত কবৰটো চাবলৈ যোৱাত দেখা গ'ল, কবৰৰ মুখৰ শিলটো দূৰত উফৰি পৰি আছে আৰু কবৰত থকা মৃত যীশুৰ শৰীৰ তাৰপৰা অন্তৰ্দ্ধান হৈছে। প্ৰবাদ মতে যীশুৱে কোনোমতে মৃত্যুৰ হাত সাৰি কবৰৰপৰা উঠি গৈ দেশে-বিদেশে ঘূৰি ফুৰিছিল। এনে প্ৰবাদো আছে যে তেওঁ সেই ভ্ৰমণত কাশ্মীৰ পৰ্য্যন্ত আহিছিল। এই আটাইবোৰ প্ৰবাদে অন্ততঃ এইটো সূচনা কৰে যে ক্ৰুচ-বিদ্ধ হৈ যীশু দেখাত মৰিলেও তেওঁৰ প্ৰকৃত মৰণ ঘটা নাছিল। সমগ্ৰ পৃথিৱী আগুৰি থকা তেওঁৰ ধৰ্ম্ম আৰু ধৰ্ম্মাৱলম্বী লোকসকলেই তাৰ সাক্ষী।

প্ৰবাদ আছে যে হজৰত ঈছাই পৰ্ব্বতত উঠি শিষ্যসকললৈ ধৰ্ম্মবাণী প্ৰচাৰ কৰিছিল। সেইবোৰ আজিও পৃথিৱ পাতত আৰু জ্ঞানী লোক-সকলৰ মুখত অমৰ হৈ আছে। তেওঁ কৈছিল—

যিসকল বিনীত আৰু যিসকলে অভিমান নকৰে তেওঁলোকেই ধন্যবাদৰ পাত্ৰ। স্বৰ্গৰাজ্য স্বৰূপতে তেওঁলোকৰ বাবেহে।

যিবিলাকে পাপৰ বাবে অনুতাপ কৰে, তেওঁলোকো ধন্য, কিয়নো তেওঁলোকে অন্তৰত সান্ত্বনা পায়।

যিসকল ধৰ্ম্ম-সংস্থাপন আৰু ধৰ্ম্ম-ৰক্ষাৰ কাৰণে লালায়িত তেওঁলোক ধন্য, কিয়নো তেওঁলোকে অন্তৰত নিৰ্ম্মল পৰিতৃপ্তি পায়।

যিসকলৰ চিত্ত নিৰ্ম্মল তেওঁলোকো ধন্য। কিয়নো তেওঁলোকৰ

ভগৱদ্দৰ্শন হয়। ইত্যাদি।

হজৰত ঈছাই আৰু কৈ গৈছে—

বন্ধু আৰু শত্ৰু সকলোকে সমানে ভাল পাবা।

কাৰো ওপৰত খং নকৰিবা।

যি তোমাৰ অপকাৰ কৰে তেওঁৰ মঙ্গলৰ কাৰণে কামনা কৰিবা।
ইত্যাদি।

এনেবোৰ নীতিপূৰ্ণ উপদেশ আৰু ত্যাগৰ মহিমাময় আদৰ্শৰে পৰিপূৰ্ণ খৃষ্ট ধৰ্মই আজি পৃথিৱীৰ অধিকাংশ লোকৰ মন-প্ৰাণ অধিকাৰ কৰি আছে। হজৰত ঈছা আছিল সেই ধৰ্মৰে প্ৰবৰ্ত্তক। ইঞ্জিল বা বাইবেল গ্ৰন্থ দৈৱশক্তিৰ সহায়ত তেওঁৰ অন্তৰত প্ৰকাশমান হৈছিল।

———

হজৰত মহম্মদ

হজৰত মহম্মদৰ আবিৰ্ভাৱ সম্পৰ্কে তেওঁৰ জন্মৰ বহুকাল পূৰ্বে নবীসকলে ভৱিষ্যদ্বাণী কৰিছিল। হজৰত ইব্ৰাহিমে তেওঁৰ পুত্ৰ ইস্মাইলৰ লগত মক্কাত কা'বা বা বইতুল্লাহ (অৰ্থাৎ আল্লাৰ ঘৰ) নিৰ্ম্মাণ কৰা সময়ত প্ৰাৰ্থনা কৰি কৈছিল—'হে প্ৰভু, তুমি আমাৰ অনুগামীসকলৰ মাজলৈ এনে এজন ৰছুল পঠোৱা যি তেওঁলোকৰ মাজত তোমাৰ আদেশ-বাণী প্ৰচাৰ কৰিব পাৰে আৰু তেওঁলোকক ধৰ্ম্মপুথি আৰু জ্ঞান দান দি পবিত্ৰ কৰিব পাৰে।' (কোৰাণ—২।১২৯)। খোদাতালাই ইব্ৰাহিমৰ সেই প্ৰাৰ্থনা গ্ৰহণ কৰি ইব্ৰাহিমক আশ্বাস-বাণী দিছিল।

হজৰত ঈছায়ো এদিন ভৱিষ্যদ্বাণী কৰি কৈছিল যে তেওঁৰ পিচত আহমদ নামৰ এগৰাকী নবী আহি মানুহক প্ৰকৃত ধৰ্ম্ম-পথৰ সন্ধান দিব। তেওঁ কৈছিল—'ইয়াৰ আগতে হজৰত মূছাৰ ওপৰত যি তাওৰাৎ গ্ৰন্থ অৱতীৰ্ণ হৈছে, তাক মই সমৰ্থন কৰোঁ আৰু মোৰ পাছত যিগৰাকী ৰছুলৰ আবিৰ্ভাৱ হ'ব তেওঁৰ আগমন সম্বন্ধে আজিয়ে সুসংবাদ জনাওঁ যে তেওঁৰ নাম হ'ব আহ্মদ।' (কোৰাণ ৬১।৬)।

ইংৰাজী বাইবেল গ্ৰন্থতো আছে যে যীশুখ্ৰীষ্টৰ (হজৰত ঈছাৰ) পিচত আৰু এজনা শান্তিদাতাৰ (Comforter ৰ) আবিৰ্ভাৱ হ'ব। গ্ৰীক বাইবেলত তাকে 'পাৰাক্লিট' (Paraclete) বোলা হৈছে। উভয় শব্দৰ অৰ্থ 'আহ্মদ' শব্দৰ অৰ্থৰে সৈতে একে। আহ্মদ আৰু মহম্মদ একে ধাতু 'হামদ'ৰপৰা উদ্ভৱ হৈছে: অৰ্থ প্ৰশংসা। 'মহম্মদ'ৰ অৰ্থ প্ৰশংসিত; 'আহ্মদ'ৰ অৰ্থ অধিক প্ৰশংসা কৰোঁতা। হজৰত ঈছাৰ পুৰা ৫৭০ বছৰৰ পাছত ৫৭১ খৃষ্টাব্দত মক্কা নগৰত মহম্মদৰ জন্ম হৈছিল আৰু হজৰত মহম্মদেই পূৰ্ব্বোক্ত নবী আহ্মদ।

হজৰত মহম্মদৰ পিতাকৰ নাম আছিল আব্দুল্লা আৰু মাকৰ নাম আমিনা। হজৰতৰ জন্মৰ পূৰ্ব্বেই তেওঁৰ পিতৃ-বিয়োগ ঘটে। সেই সময়ত

সেই ঠাইত চলি থকা প্ৰথা অনুসৰি তত্ৰবংশৰ সন্তান মহম্মদক কেঁচুৱাতে হালিমা নামে এগৰাকী ধাইমাকৰ হাতত প্ৰতিপালনৰ কাৰণে দিয়া হৈছিল। ধাই-মাক হালিমাৰ যত্নত তেওঁ ডাঙৰ-দীঘল হয়। ছবছৰ বয়সত তেওঁৰ মাক আমিনাও ঢুকালত তেওঁ মাউৰা হ'ল। তেতিয়া তেওঁ প্ৰথমে ককাক আব্দুল মুত্তালিবৰ লগত আৰু তেওঁ ঢুকোৱাত খুৰাক আবু-তালেবৰ লগত থাকিবলৈ লয়।

ইস্মাইল বংশীয় কোৰেইছ নামে দল এটাৰ হাচিম নামে শাখাত বংশত হজৰত মহম্মদৰ জন্ম। আৰব দেশত সেই সময়ত শিক্ষাৰ একো ভাল ব্যৱস্থা নাছিল আৰু দেশৰ লৰা-ছোৱালীবোৰে শিকাৰো তেনেই আওকাণ কৰি চলিছিল। মাউৰা হজৰত মহম্মদৰো সক কালত শিক্ষাৰ একো সুবিধা নহ'ল। লিখা-পঢ়া নিশিকিলে যদিও খুৰাক আবু-তালেবৰ সুন্দৰ তত্ত্বাবধান আৰু ভাগ্য-বিপৰ্য্যয়ৰ হবেক ৰকমৰ অভিজ্ঞতাই হজৰত মহম্মদক প্ৰকৃত জ্ঞান লাভৰ বিস্তৰ সুযোগ দান কৰিলে। কালত তেও এগৰাকী সুন্দৰ, সুশ্ৰী, স্বাস্থ্যৱান যুবক হৈ উঠিল। এজনা উম্মী (নিৰক্ষৰ) নবীৰ অন্তৰত বিশ্ব-কৰ্ত্তা আল্লাহতালাই কেনেকৈ পৱিত্ৰ গ্ৰন্থ কোৰাণ উদ্ভাসিত কৰিছিল আৰু তেওঁৰ প্ৰচাৰিত বাণী আৰু পৱিত্ৰ ধৰ্মই আজি কেনেকৈ পৃথিৱীৰ এক পঞ্চমাংশ অধিবাসীৰ মন-প্ৰাণ পুলকিত আৰু একত্ৰিত কৰি ৰাখিছে—ভাবিলেও শ্ৰদ্ধাপূৰ্ণ বিস্ময়ত স্তম্ভিত নহৈ নোৱাৰি।

ডেকা বয়সত হজৰত মহম্মদে খুৰাক আবু-তালেবক সহায় কৰিবৰ কাৰণে দেশ-বিদেশত বেহা বেপাৰ কৰি ফুৰিছিল। মক্কা নগৰৰ অন্যান্য বণিকৰ লগত তেওঁ চিৰিয়া, দক্ষিণ-আৰব, ইয়মন আদি দেশবোৰলৈ গৈছিল আৰু বিবিধ ধৰণৰ অভিজ্ঞতা অৰ্জ্জন কৰিছিল। বেহা-বেপাৰত তেওঁৰ সাধুতা আৰু একনিষ্ঠতা সকলোৱে একমুখে স্বীকাৰ কৰিছিল।

মক্কা নগৰত সেই সময়ত খদীজা নামে এগৰাকী সম্ভ্ৰান্ত বংশৰ চহকী বিধবা আছিল। তেওঁ ব্যৱসায়ত অৰ্থ নিয়োগ কৰিছিল। হজৰত মহম্মদৰ সজ পৰিশ্ৰম আৰু সাধুতাৰ খ্যাতি শুনি তেওঁ নিজৰ পৰা বহুত অৰ্থ-সম্বল দি হজৰতক চিৰিয়া, ইয়মন আদি দেশবোৰলৈ বণিজৰ কাৰণে পঠাইছিল। হজৰতৰ যত্নত যেতিয়া সেই বেপাৰত তেওঁৰ আশাতীত লাভ হ'ল আৰু হজৰতে তাত সাধুতাৰ চৰম পৰাকাষ্ঠা দেখুৱালে, তেতিয়া তেওঁ হজৰতৰ গুণত তেনেই মোহ গ'ল, আৰু হজৰতৰ ওচৰত বিয়াৰ প্ৰস্তাৱ

দাঙি ধৰিলে। হজৰতেও খুৰাক আবু-তালেবৰ অনুমতি পাই সেই প্ৰস্তাৱত সম্মতি প্ৰকাশ কৰিলে। তেওঁলোকৰ যথাৰীতি বিয়া হৈ গ'ল। বিয়াৰ সময়ত হজৰতৰ বয়স আছিল মাত্ৰ ২৫ বছৰ; কিন্তু বিবি খদীজাৰ বয়স আছিল ৪০ বছৰ।

সেই সময়ত আৰব দেশ পৌত্তলিকতাৰ চৰম সীমাত উপনীত হৈছিল। আৰবৰ ধৰ্ম কেন্দ্ৰ কা'বাতেই অসংখ্য দেৱ-দেৱীৰ মূৰ্ত্তি পূজা চলিছিল আৰু আৰবৰ লোকসকলৰ ঘৰে ঘৰেও নিজ নিজ ইষ্ট-দেৱতাৰ মূৰ্ত্তি থাপনাত ৰখা হৈছিল। গছ, লতা, শিল আদিৰ পূজা-সেৱা সকলো ঠাইতে চলিছিল। ভূত-প্ৰেতত সকলোৰে বিশ্বাস আছিল আৰু ৰোগ নিবাৰণৰ একমাত্ৰ উপায় আছিল পূজা-পাতল। যৌন মিলনৰ কেনো প্ৰতিবন্ধক নাছিল আৰু সম্ভ্ৰান্ত লোকসকলেও নাৰীক এক প্ৰকাৰ সম্পত্তি ৰূপে ব্যৱহাৰ কৰিছিল। জন্মস্বত্বানুসাৰেও এই সম্পত্তিৰ মালিকত্ব এজনৰপৰা আনজনলৈ যাব পাৰিছিল। গতিকে স্বত্বানুসাৰে তাৰ দান-বিক্ৰী-হস্তান্তৰো হৈছিল। দেশত শাসনৰ ব্যৱস্থা বৰ শিথিল আছিল। 'জোৰ যাৰ মুলুক তাৰ' এয়ে আছিল সকলোৰে মূল মন্ত্ৰ। একে ভাষা-ভাষী আৰু একে সম্প্ৰদায়ৰে লোক হলেও আৰবৰ লোকসকল সেই সময়ত দলাদলি আৰু পৰস্পৰৰ মাজত দন্দ খৰিয়ালত ৰত আছিল। দেশৰ এই শোচনীয় অৱস্থা দেখি হজৰত মহম্মদৰ মনত তীব্ৰ উদ্বেগ উপজিছিল আৰু কেনেকৈ এনে বিশৃংখলা দূৰ কৰা যায় তাৰে চিন্তাত তেওঁ মগ্ন হৈ পৰিছিল।

দেশৰ এই পৰিস্থিতিত আৰু এটা সাধাৰণ ঘটনাই দলীয় যুদ্ধ-বিগ্ৰহৰ আশঙ্কা আৰু বেছি ঘনীভূত কৰি তুলিলে। সেই সময়ত আল্লাৰ ঘৰ কা'বা শৰীফৰ নিৰ্ম্মাণকাৰ্য্য নতুনকৈ হাতত লোৱা হৈছিল। সেই ঘৰত হজকল আচৱদ নামে এডোখৰ ক'লা পাথৰ আছিল। কথিত আছে যে কা'বা শৰীফ যেতিয়া পোনপ্ৰথমে নিৰ্ম্মাণ কৰিবলৈ লোৱা হৈছিল তেতিয়া হজৰত ইব্ৰাহিমে এই শিলডোখৰৰ ওপৰতে থিয় হৈ কা'বাৰ দেৱাল গাঁথিছিল। সেই গুণে এই শিলডোখৰক সকলোৱে অতিশয় পবিত্ৰ জ্ঞান কৰি শ্ৰদ্ধাৰ চকুৰে চাইছিল। সেই শিলডোখৰ কা'বা শৰীফৰ পুনৰ্নিৰ্ম্মাণত এতিয়া কোনে কি দেৱালত খুৰাই দি সেই সন্মানৰ অধিকাৰী হব সেই বিষয়ে ভিন ভিন দলৰ ভিতৰত অৰিয়াঅৰি লাগিল। বিৰোধ ক্ৰমে গুৰুতৰ হৈ যুদ্ধত পৰিণত হবলগীয়াত পৰিল।

এই সময়ত এজন বুঢ়া লোকে এটা বুধি সাজি কলে—'মই এই সমস্যা সমাধানৰ এটা উজু উপায় পাইছো। কালিলৈ বাতিপুৱা যোকযোকালিতে কা'বা-দৰ্শনৰ কাৰণে যিয়ে যথাৰীতি সাজু হৈ তাত উপস্থিত হব লৈ, তেওঁৰ ওপৰতে এই প্ৰশ্ন মীমাংসাৰ ভাৰ দিয়া হব। তেওঁৰ বিচাৰকে আমি সকলোৱে গ্ৰহণ কৰিমহক।' বুঢ়াৰ এই উপদেশত সকলো মান্তি হ'ল।

ঘটনাক্ৰমে হজৰত মহম্মদেই পিছ দিনা কা'বাৰ প্ৰথম দৰ্শক হ'ল। তেওঁৰ ওপৰতেই সমস্যা সমাধানৰ ভাৰ পৰিল। হজৰত মহম্মদে তেতিয়া অলপ চিন্তা কৰি এখন ডাঠ কাপোৰ অনালে। তেওঁ নিজহাতে শিল-ডোখৰ তাৰ ওপৰত থলে। তেতিয়া তেওঁ প্ৰত্যেক ফৈদৰ নেতাসকলক কাপোৰৰ ওপৰৰপৰা শিলডোখৰ নি য'ত স্থাপন কৰিবলৈ নিৰূপন কৰা হৈছিল তালৈ একেলগে নিবলৈ কলে। নিয়া হ'লত তেওঁ নিজ হাতেৰে সেই শিল নিৰূপিত ঠাইত সুন্দৰকৈ স্থাপন কৰিলে। বিবদমান দলবোৰৰ মাজত হজৰত মহম্মদৰ এই কাৰ্য্যই কিছু দিনলৈ শান্তি স্থাপন কৰিলে।

আৰবৰিলাকৰ নৈতিক অৱনতি আৰু ধৰ্ম্মৰ শোচনীয় গ্লানি দেখি হজ-ৰত মহম্মদে কিন্তু খন্তেকৰ কাৰণেও শান্তি লভিব নোৱাৰিলে। সমাজক এনে অৱস্থাৰপৰা উদ্ধাৰ কৰিবৰ কাৰণে তেওঁ চিন্তা কৰিবলৈ ধৰিলে। মক্কাৰপৰা অনতিদূৰত হিৰা নামে এখন পৰ্ব্বত আছে। সেই হিৰা পৰ্ব্ব-তৰ দাঁতিৰ নিভৃত গুহা এটাত বহি তেওঁ সততে ঈশ্বৰ-চিন্তাত মগ্ন থাকি-বলৈ ধৰিলে। তাকে কৰোঁতে কেতিয়াবা তেওঁ দিন-নিশাৰ ভেদাভেদ পাহৰি গৈছিল। এনেকৈ থাকোঁতেই এদিন ঈশ-জ্যোতি তেওঁৰ সন্মুখত উদ্ভাসিত হ'ল। চাই থাকোঁতেই ফিৰিস্তা জিব্ৰাইল তেওঁৰ সন্মুখত উপ-স্থিত হলহি আৰু কলে,—'মহম্মদ, 'ইক্ৰা'—পঢ়া।' মহম্মদে উত্তৰ দিলে, তেওঁ লিখ-পঢ়া নাজানে! ফিৰিস্তাই তেতিয়া তেওঁক সাবটি ধৰি আকৌ কলে—'পঢ়া।' এইবাৰো সেই একে উত্তৰ—'মই পঢ়িব নাজানো।' তিনি-বাৰ এইদৰে পঢ়িবলৈ কোৱা হ'ল—তিনিওবাৰে সেই একে উত্তৰ আহিল। ফিৰিস্তা জিব্ৰাইলে তেতিয়া কলে—'মহম্মদ, তোমাৰ প্ৰভুৰ মহিমা কীৰ্ত্তন কৰা। পাঠ কৰা—যি আল্লাই শোণিত-বিন্দুৰ টোপাল এটিৰপৰা মানুহ সৃষ্টি কৰে; যি আল্লাই পৰম দয়াপৰবশ হৈ মানুহক কলমৰ ব্যৱহাৰ শিকালে, আৰু নজনা বিষয় জানিবলৈ দিলে—সেই দয়াময় আল্লাৰ মহিমা পাঠ কৰা।' (কোৰাণ ৯৬।১-৫)

বাণী শুদ্ধ হ'ল; জিব্ৰিল্লা জিব্ৰাইলো অন্তৰ্দ্ধান হ'ল। মহম্মদৰ সৰ্ব্ব-শৰীৰত এটা অভূতপূৰ্ব্ব কম্পন উঠিল। কঁপি-জপি তেওঁ ঘৰ পালেহি। ঘৰ পাই তেওঁ পত্নী খদীজাক সকলো কথা বিবৰি কলে আৰু তেওঁৰ গাত কম্বল এখন জাপি দিবলৈ থিলে। বিবি খদীজাই তেওঁক আশ্বাস দি কলে, 'নিশ্চয় ই আনন্দৰে বাৰ্ত্তা হব। আজিৰপৰা মই আপোনাক পয়গম্বৰ বুলি মানিম। আল্লাই কেতিয়াও আপোনাক নিৰাশ নকৰে, কাৰণ আপুনি জানো কাৰবাক কেতিয়াবা নিৰাশ কৰিছে ?'

বিবি খদীজাই তেতিয়া স্বামী হজৰত মহম্মদক লৈ তেওঁৰ ভতিজাক ওৱাৰ্কা-বিন-নৌফল নামৰ পণ্ডিতজনৰ ওচৰলৈ গ'ল। ওৱাৰ্কা আধ্যাত্মিক বিষয়ৰ পণ্ডিত আছিল। তেওঁ সকলো কথা শুনি কলে যে তাহানি হজৰত মুছাই পোৱা বাৰ্ত্তাৰে সৈতে ই একে ধৰণৰ প্ৰত্যাদেশ। তেওঁ হজৰতক কলে, 'মহম্মদ, মই তোমাৰ শৰীৰত সেই দিব্য জ্যোতি আজি লক্ষ্য কৰিব পাৰিছো। তুমি কিন্তু পোনতে নানাপ্ৰকাৰৰ প্ৰতিবন্ধক পাবা। তুমি হয়তো দেশ ত্যাগ কৰিব লগীয়াও হব পাৰে।'

তাৰ পাছত হজৰত মহম্মদ সঘনে সেই পৰ্ব্বতৰ গুহালৈ যাবলৈ ধৰিলে। কিছু দিনৰ অন্তত তেওঁ পুনঃ প্ৰত্যাদেশ পাবলৈ আৰম্ভ কৰিলে। তেওঁ ধৰ্ম্ম-প্ৰচাৰৰ বাবে স্পষ্ট নিৰ্দ্দেশ পালে। তেওঁৰ প্ৰতি স্পষ্ট প্ৰত্যাদেশ হ'ল —'আল্লা এক আৰু অদ্বিতীয়; মহম্মদ তেওঁৰ ৰচুল।'

গুহাৰপৰা আহি প্ৰথমে তেওঁ সেই ধৰ্ম্ম-বাণীবোৰ নিজৰ প্ৰিয়তমা পত্নী বিবি খদীজাৰ আগত ব্যক্ত কৰিছিল। বিবি খদীজাই সৰ্ব্বান্তঃ-কৰণে সেই-বোৰত বিশ্বাস স্থাপন কৰিলে আৰু তেওঁৰ স্বামী হজৰত মহম্মদক সেই বাণীবোৰ প্ৰচাৰ কৰিবলৈ উৎসাহ দিবলৈ ধৰিলে। বহুতে কিন্তু তেওঁৰ কথা বাতুলৰ বলিয়ালি বুলি উকৰাই দিলে। বিশেষকৈ কোৰেইছবিলাকে তেওঁৰ কথাত সমূলি বিশ্বাস নকৰিলে আৰু তেওঁক আৰু তেওঁৰ মতাৱলম্বীসকলক বাটে-পথে ঠাট্টা-মস্কৰা কৰিবলৈ ধৰিলে। এই কাৰ্য্য ঘটিছিল ইংৰাজী ৬১০ চনত।

হজৰত মহম্মদৰ ধৰ্ম্ম-বাণী তেওঁৰ পত্নীৰ পিছতে তেওঁৰ ঘৰৰ পৰিয়াল-বৰ্গই আৰু তাৰ পিছত তেওঁৰ অন্তৰঙ্গ বন্ধুসকলে গ্ৰহণ কৰিছিল, কাৰণ, তেওঁৰ অনাবিল চৰিত্ৰ আৰু সাধুতাত এইসকলৰ গভীৰ বিশ্বাস আছিল।

সৎ চৰিত্ৰ আৰু সাধুতাৰ গুণত হজৰত মহম্মদে বন্ধুমহলত 'আল-আমীন্' অৰ্থাৎ বিশ্বস্ত পুৰুষ বুলি খ্যাতি লাভ কৰিছিল। সেইসকলৰ ভিতৰতো কিন্তু অতি কম সংখ্যক লোকেহে তেওঁৰ ধৰ্ম গ্ৰহণ কৰিবলৈ সাহ কৰিছিল। এইদৰে প্ৰথম চাৰি বছৰত তেওঁৰ ধৰ্মাৱলম্বী লোকৰ সংখ্যা মাত্ৰ চল্লিছটৈ বাঢ়িছিল, আৰু এইসকলেও পৌত্তলিক আৰবসকলৰ হাতত কম জীয়াতু ভুগা নাছিল। কথিত আছে যে বিলাল নামে নিগ্ৰো এজনে যেতিয়া ধৰ্ম গ্ৰহণ কৰে তেতিয়া তেওঁক ধৰি নি আৰবসকলে দিন-দুপৰীয়া উত্তপ্ত সূৰ্য্যৰ প্ৰখৰ তাপত ডেই-পুৰি নিয়া শিলগুটিৰ ওপৰত শুদা গাৰে শুবলৈ বাধ্য কৰিছিল। তেতিয়াও কিন্তু সেই বীৰ নিগ্ৰোজনে মুখেৰে এটা মাত্ৰ কথা ফুটাই কৈছিল—'আল্লা এজনেই, এজনেই।'

স্বৰ্গীয় জ্যোতি লাভ কৰাৰ পাছত প্ৰথম তিনি বছৰ হজৰত মহম্মদে নীৰৱে ধৰ্ম প্ৰচাৰ কৰিছিল। ক্ৰমে তেওঁৰ ধৰ্মাৱলম্বী লোকৰ সংখ্যা বাঢ়ি আহিলত এদিন তেওঁ মক্কাবাসীসকলক ওচৰৰ স্বফা পৰ্ব্বতলৈ মাতি নি কলে—'মক্কাবাসীসকল, আমাৰ পৰম প্ৰভু আল্লাৰ দ্বাৰা আদিষ্ট হৈ মই আজি আপোনালোকক জনাওঁ যে আল্লা এক আৰু অদ্বিতীয়। তেঁৱেই একমাত্ৰ আৰাধ্য। যি প্ৰস্তৰ-মূৰ্ত্তিবোৰক আপোনালোকৰ অনেকে পূজা কৰে সেইবোৰ পূজাৰ যোগ্য নহয়। আপোনালোকে এক আল্লাৰ পূজা কৰক। আল্লাৰ এই নিৰ্দ্দেশ পালন নকৰিলে নিশ্চয় তেওঁৰ শাস্তি আপোনালোকৰ ওপৰত পৰিব।' হজৰতৰ এই বাণীয়ে গিৰি-কন্দৰত প্ৰতিধ্বনিত হৈ সমগ্ৰ আৰব বিকম্পিত কৰিলে। কিন্তু তাৰ অৱশ্যম্ভাৱী প্ৰতিক্ৰিয়াও নোহোৱাকৈ নাথাকিল। বিভিন্ন দলৰ মুখিয়ালসকল সংঘবদ্ধভাৱে হজৰত মহম্মদ আৰু তেওঁৰ প্ৰচাৰিত ধৰ্মৰ বিৰুদ্ধে থিয় হ'ল। হজৰতৰ অনুগামীসকলৰ ওপৰত উৎপীড়নৰ প্ৰকোপ চলিবলৈ ধৰিলে।

কাৰ্য্য-গতি বিষম দেখি হজৰত মহম্মদৰ খুৰাক আবু-তালেবে এদিন তেওঁক আঁতৰি-সাঁতৰি মাতি নি কলে—'ভতিজা মহম্মদ, তুমি নতুন ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ গৈ গোটেই জাতিটোক আমাৰ শত্ৰু কৰি তুলিলা। ইয়াৰপৰা তোমাৰ লাভ কি হব? আমাৰ জীৱন-ধাৰণহে বিপন্ন হৈ পৰিব। সত্তিকৈ এনে কামৰপৰা তুমি বিৰত থকাই শ্ৰেয়ঃ হব বুলি মই ভাবোঁ।'

এনে কথা শুনি হজৰত মহম্মদৰ চকুলো বাগৰি গ'ল। তেওঁ কলে—'খুৰাটি, আমাৰ জীৱন বিপন্ন হব পাৰে সঁচা, কিন্তু সেই বুলিয়ে মই আল্লাৰ আদেশ লঙ্ঘন কৰিম কেনেকৈ? সি মোৰ পক্ষে অসম্ভৱ। যদি মোৰ জাতি ভাইসকলে আকাশৰ চন্দ্ৰ-সূৰ্য্য দুটাও আনি মোৰ হাতত দিয়ে আৰু মোক এই পবিত্ৰ কামবপৰা বিৰত থাকিবলৈ কয়, তথাপি মই তেওঁলোকৰ অনুৰোধ ৰক্ষা কৰিব নোৱাৰিম। মোক আপুনি ক্ষমা কৰিব।' হজৰতৰ এনে দৃঢ় সংকল্প আৰু মনৰ অকপটতা দেখি খুৰাকে কলে—'বাৰু, তেন্তে তোমাৰেই জয় হওক। মই তোমাক আৰু হকা-বধা নকৰোঁ।'

ইফালে মক্কাত হজৰত মহম্মদৰ অনুগামীসকলৰ ওপৰত উৎপীড়ন বাঢ়িবলৈ ধৰিলে। নিৰপৰাধী লোকসকলৰ ওপৰত দিনে-নিশাই চলি থকা অত্যাচাৰবোৰ দেখি হজৰতৰ অন্তৰ কৰুণাত গলি গ'ল। তেওঁ তেওঁৰ অনুগামীসকলৰ অন্ততঃ কিছুমানক সাগৰ পাৰ হৈ আবিচিনিয়াৰ ৰজা নিগচৰ দৰবাৰলৈ আশ্ৰয় বিচাৰি যাবলৈ উপদেশ দিলে। হজৰতৰ সম্বন্ধীয় ভায়েক জাফৰে তেতিয়া ধৰ্ম্ম প্ৰচাৰৰ পঞ্চম বছৰত এঘাৰজন মতা মাইকী মানুহৰ দল এটা লৈ আবিচিনিয়ালৈ গতি কৰিলে (৬১৭ খৃঃ)।

এতিপক্ষৰ লোকে তেওঁলোকক পাছে পাছে খেদি গ'ল। ৰজা নিগচৰ ওচৰত মুছলিমসকলে আৰবসকলৰ অত্যাচাৰৰ বৰ্ণনা দিলে আৰু আশ্ৰয় প্ৰাৰ্থনা কৰিলে। ৰজাৰ আদেশত জাফৰে হজৰতৰ প্ৰতি প্ৰত্যাদেশ হোৱা ইচলাম ধৰ্ম্মৰ কিছুমান ধৰ্ম্মবাণীও আবৃত্তি কৰি শুনালে। আবৃত্তি শুনি ৰজা নিগচৰ চকুলো বৈ গ'ল। তেওঁ কৈ উঠিল—'মোৰ প্ৰভুৰ শপত, এই আয়াতবোৰ আৰু আমাৰ বাইবেল একেটি প্ৰদীপৰে পোহৰ।' খেদি যোৱা কোৰেইছবিলাকক তেওঁ কলে,—'তোমালোক গুচি যোৱা গৈ; মই কেতিয়াও এওঁলোকক তোমালোকৰ হাতত অৰ্পণ নকৰোঁ।'

পিছৰ বছৰত আৰু অনেক মুছলিম আবিচিনিয়ালৈ গ'ল আৰু তেওঁলোকৰ সংখ্যা ল'ৰা-ছোৱালীক বাদেই এশ এক হ'ল। কোৰেইছবিলাকে মুছলিমসকলৰ এই বহিৰ্গমন বন্ধ কৰিবলৈ নানা প্ৰকাৰে বৃথা প্ৰয়াস কৰিছিল।

মুছলিমসকলক দমন কৰাৰ সকলো চেষ্টা ব্যৰ্থ হ'লত মক্কাত কোৰেইছবিলাকে লগ হৈ এইবাৰ আবু-তালেবৰ ওচৰ চাপিল আৰু তেওঁক নানা প্ৰকাৰে প্ৰলোভন দেখুৱাই হজৰত মহম্মদক গোপনে তেওঁলোকৰ হাতত

শোধাই দিবলৈ অনুৰোধ কৰিলে। আবু-তালেব মান্তি নহ'ল। তেতিয়া তেওঁলোকে গৈ প্ৰকাশ্যে হাশ্বিমবংশীয় লোক আৰু মক্কাত থকা অৱশিষ্ট মুছলিমসকলক হজৰত মহম্মদৰে সৈতে সুদীৰ্ঘ তিনি বছৰ এখন সৰু ঠাইত অৱৰোধ কৰি ৰাখিলে। এই কাল জোখৰত এওঁলোকে বছৰি এবাৰহে হজলৈ যোৱা সময়ত মাথোন স্বাধীনতা পাইছিল। এই তিনি বছৰ কাল মুছলিমসকল আৰু ইচ্‌লামৰ কাৰণে কঠোৰ নিৰ্য্যাতনৰ দিন আছিল। এই কালছোৱাত ইচ্‌লামে প্ৰচাৰ লাভ কৰাতো দুৰ্লঙ্ঘ্য বাধা পাইছিল।

কোৰেইচাবলাকে ভাবিলে—মুছলিমসকলৰ বল পৰিল, তেওঁলোকক এৰি দিলেও ইচ্‌লাম ধৰ্ম্মই আৰু গা কৰিব নোৱ'ৰে। গতিকে হজৰত মহম্মদ আৰু তেওঁৰ অনুগামী মুছলিমসকলক এৰি দিয়া হ'ল।

হতাশা আৰু অৱসাদে আগুৰি ধৰিছিল যদিও হজৰত মহম্মদৰ মনৰ বল আৰু ধৰ্ম্ম-প্ৰচাৰৰ সংকল্প অটুট থাকিল। তেওঁ মক্কাৰ আশা এৰি আৰৱৰে অন্য এখন ডাঙৰ নগৰ তাইফলৈ গ'ল (খৃঃ ৬২০)। তাতো কিন্তু তেওঁ হতাশাকেই সম্বল কৰিবলগীয়া হ'ল। তেওঁক ত'ত কোনেও আশ্ৰয় নিদিলে আৰু তাৰ ফল স্বৰূপে দহোটা দিনো তেওঁ তাত থাকিব নোৱাৰিলে। মক্কালৈ পুনঃ উভতি আহোঁতে তেওঁ আল্লাৰ ওচৰত কাতৰ কণ্ঠে প্ৰাৰ্থনা জনাইছিল—'হে প্ৰভু, মোৰ দুৰ্ব্বলতা আৰু নিঃসম্বলতাৰ কথা তোমাত বাহিৰে আৰু কাক জনাম? তুমি দয়াৰ সাগৰ আৰু দুৰ্ব্বলৰ বল। মোক মোৰ পথৰ এন্ধাৰ দূৰ কৰি দি আগ বাঢ়িবলৈ আৰু কৰ্ত্তব্য কৰিবলৈ শক্তি দিয়া। তোমাত বাহিৰে শক্তি আৰু আশ্ৰয়ৰ স্থল, মোৰ আৰু নাই।'

আশা-নিৰাশাৰ মাজত যুঁজ কৰি হজৰতে আৰু প্ৰায় তিনি বছৰ কাল মক্কাতে কটালে। এই সময়তে হজৰতৰ প্ৰথম আৰু প্ৰধান সমৰ্থনকাৰী প্ৰিয় ভাৰ্য্যা খদীজা বিবি আৰু বৃদ্ধ খুৰা আবু-তালেব দুয়ো পৰলোকপ্ৰাপ্ত হ'ল। কিন্তু এনে বিষম বিপদৰ মাজতো হজৰত বিচলিত নহ'ল। তেওঁ নিজৰ কৰ্ত্তব্য দেহে-কেহে কৰিয়ে থাকিল। মক্কাৰপৰা এই কালছোৱাৰ ভিতৰত অনেক মুছলিমে গৈ মদিনাত বসতি কৰিবলৈ ললে।

ধৰ্ম্ম-জ্ঞান লাভ কৰাৰ ত্ৰয়োদশ বছৰ ওচৰ চাপি অহাত এদিন ৭৫ জনা মুছলিমে (তাৰে দুগৰাকী মহিলা আছিল) মদিনাৰপৰা হজ কৰিবলৈ আহি হজৰত মহম্মদক দেখা কৰিলে আৰু তেওঁৰ আনুগত্য স্বীকাৰ কৰি

শপত খাই কলে যে তেওঁ মদিনালৈ গলে তেওঁলোকে তেওঁলোকৰ নিজৰ পুত্ৰ-পৰিবাৰক ৰক্ষা কৰাৰ দৰে শত্ৰুৰ হাতৰপৰা তেওঁক ৰক্ষা কৰিব। তেতিয়াৰপৰা অবিৰাম সোঁতত মক্কাৰপৰা মুছলিমসকল মদিনালৈ যাবলৈ ধৰিলে। হজৰত মহম্মদে তেওঁৰ অনুগামীসকলৰ নিৰাপত্তাৰ কাৰণে দিন দিয়েক মক্কাত থাকিবলৈ স্থিৰ কৰিলে।

এই কেইদিনৰ ভিতৰতে শত্ৰুসকলে ভাবিলে যে এই ছেগতে আক্ৰমণ নকৰিলে হজৰত মহম্মদক তেওঁলোকে হয়তো মক্কাত আৰু নাপাবও পাৰে। সকলো দলৰ নেতাসকল গোট খাই এই সিদ্ধান্ত গ্ৰহণ কৰিলে যে প্ৰত্যেক দলৰ একোজন নিৰ্দ্দিষ্ট যুৱকে দলবদ্ধভাৱে নিৰ্দ্দিষ্ট সময়ত গৈ হজৰত মহম্মদক একেলগে আক্ৰমণ কৰিব। তাকে কৰিলে হত্যাৰ বাবে কোনো অকলে দায়ী নহব।

এনেভাৱৰ ছেগ লৈ এই আততায়ীসকলে পূৰ্ব্ব-কল্পিত কৌশলেৰে হজৰত মহম্মদৰ বাস-ভৱন অৱৰোধ কৰিলে। হজৰতে শত্ৰুসকলৰ এই চক্ৰান্তৰ কথা আগতে গম পাইছিল। আক্ৰমণৰ পূৰ্ব্বে তেওঁ ঘৰৰপৰা ওলাই মক্কাৰ পৰ্থোদ গৈ গৈ থৌৰ (Thaur) নামে গুহা এটাত আত্ম-ৰক্ষা কৰি থাকিল। ৰাতি পুৱালত বিচাৰ-খোচাৰ কৰিও হজৰতক তেওঁৰ বাসস্থানত পোৱা নগ'ল। তেওঁক বিচাৰি গোটেই মক্কা নগৰ চলথ কৰা হ'ল। হজৰতৰ লগত তেওঁৰ প্ৰিয় বন্ধু আবু-বকৰো আছিল। দুয়ো নিৰুদ্দেশ হ'ল। হজৰত মহম্মদক এই কাৰ্য্যত তেওঁৰ ভতিজাক হজৰত আলীয়ে নিজৰ জীৱন বিপন্ন কৰিও সহায় কৰিছিল। হজৰত আলীয়ে নিজৰ পোছাকটোকে হজৰত মহম্মদক পিন্ধিবলৈ দি নিজে হজৰত মহম্মদৰ বিচনাত শুই আছিল আৰু সেই পোছাকৰ সহায়ত হজৰত মহম্মদ ছদ্মবেশত নিৰ্ব্বিঘ্নে মক্কাৰপৰা বহিৰ্গমন কৰিবলৈ সমৰ্থ হৈছিল। হজৰত আলী পিছত হজৰত মহম্মদৰ জোঁৱাই হয়।

হজৰতৰ অন্বেষণত যোৱা এটা দলে গৈ সেই গুহাৰ মুখ পৰ্য্যন্ত পাইছিল। তেতিয়া হৃকত্তা এটাৰে আবু-বকৰে সেই ৰক্ত-পিপাসু নৰ-পিশাচৰ দলটোক দুৰ্ব্বোৰ যুক্তি ধৰি গুহাৰ ওচৰলৈ যোৱা দেখি ভয়ত বিহ্বল হৈ উচুপি উচুপি কান্দিবলৈ ধৰিলে। তাকে দেখি হজৰতে তেওঁক কৈছিল—'আবু বকৰ! বেজাৰ নকৰিবা। আল্লা আমাৰ লগত আছে।'

তেনেকৈ তাতে তিনি দিন থাকি হজৰত মহম্মদে বন্ধু আবু-বকৰৰ লগত লৈ মদিনালৈ যাত্ৰা কৰিলে (৬২২ খৃঃ)। এই সময়ৰেপৰা (১৬ জুলাই, ৬২২ খৃঃ) হিজ্‌ৰৎ (প্ৰব্ৰজন) শক আৰম্ভ হয়। মদিনা মক্কাৰ উত্তৰে দুশ মাইল দূৰত।

হজৰত মহম্মদৰ মদিনা আগমনৰ বাৰ্তা মদিনাৰ জনসাধাৰণৰ মাজত ৰাষ্ট্ৰ হৈ পৰিল। মদিনাৰপৰা তিনি মাইল দূৰত থকা কুবা নামৰ গাঁৱৰ মানুহে জুম বান্ধি আগবাঢ়ি আহি হজৰতক স্বাগত সম্ভাষণ জনালে। মদিনাত হজৰত মহম্মদ প্ৰৱেশ কৰিলত তাতো দলে দলে লোকে আহি আহি তেওঁক সম্বৰ্দ্ধনা জনালে। তাত তেওঁ প্ৰাৰ্থনাৰ কাৰণে পোনতে এটা খেৰৰ পঁজাঘৰ তৈয়াৰ কৰি লৈছিল। হজৰতৰ ধৰ্ম-প্ৰচাৰৰ পৱিত্ৰ স্মৃতিৰ সৌধ হিচাপে আজিও সি নব-নিৰ্ম্মিত হৈ মছজিদুন্ নবী বা হজৰতৰ মছজিদ্ নামে তাত বিৰাজ কৰিছে। মক্কা ত্যাগ কৰি যিসকল মুছলিমে গৈ হজৰতৰ লগত মদিনাত বাস কৰিছিল তেওঁলোকক 'মুহাজেৰীন্' অৰ্থাৎ স্বদেশত্যাগী আৰু মদিনাত যিসকল মদিনাবাসীয়ে তেওঁলোকক আশ্ৰয় দান কৰি সহায় কৰিছিল তেওঁলোকক 'আন্‌ছাৰ' অৰ্থাৎ সাহায্যকাৰী বোলা হৈছিল। মদিনাত প্ৰাৰ্থনাৰ কাৰণে মছজিদ তৈয়াৰ হ'লত হজৰত মহম্মদে আদেশ দিলে যে তেতিয়াৰেপৰা নমাজৰ সময়ত প্ৰাৰ্থনাকাৰীসকলে যেৰুজেলেমৰ বৈত-উল্-মুকদ্দছৰ পিনে মুখ নকৰি মক্কাৰ কা'বাৰ পিনে মুখ কৰিব লাগিব। লগে লগে যথা-অন্তৰ নমাজৰ অৱতাৰণা আৰু আজান নিৰ্দ্দিষ্ট কৰি দিয়া হ'ল।

ক্ৰমে ক্ৰমে মদিনাত এতিয়া এখন ইচ্‌লাম ৰাষ্ট্ৰৰ অনুষ্ঠান হ'ল। তাত থকা ধনী ইহুদীবিলাকে এই কাৰ্য্য সহজে ভাল পোৱা নাছিল, কাৰণ, ইচ্‌লামৰ মূল কথাবোৰৰ লগত সমাজতন্ত্ৰবাদৰ বীজ অন্তৰ্নিহিত আছে ধনতন্ত্ৰবাদে তাক সহ্য কৰিব নোৱাৰে। ফলত ইহুদীবিলাকে ইচ্‌লামৰ বিৰুদ্ধে ষড়যন্ত্ৰ চলাবলৈ ধৰিলে। ইফালে মক্কাবাসী কোৰেইছবিলাকেও ইচ্‌লাম বিনাশৰ উদ্দেশ্যে তাৰপৰাই অভিযান চলাবলৈ ধৰিলে। মুছলিমসকলে এই পৰিস্থিতিত আত্মৰক্ষাৰ কাৰণে যথোচিত কাৰ্য্যবিধি হাতত [illegible] পৰিল।

হজৰত মহম্মদৰ নিৰ্দ্দেশমতে মুছলিমসকলে মদিনাত ইহুদীবিলাকৰ লগত এটা চুক্তি কৰিলে। সেই চুক্তিমতে ধৰ্ম্ম-বিষয়ত কেৱে কাৰো ওপৰত হস্তক্ষেপ নকৰিব আৰু বহিৰাগত কোনো শত্ৰুৱে দেশ আক্ৰমণ কৰিলে সকলোৱে জাতি-ধৰ্ম্ম নিৰ্ব্বিশেষে একত্ৰ হৈ দেশ ৰক্ষাৰ কাৰণে যুঁজিব। সন্ধি বৰ কাৰ্য্যকৰী হ'ল।

মক্কাৰ কা'বা শৰীফৰ দ্বাৰ সমস্ত আৰৱবাসীৰ কাৰণে বন্ধ কৰি দিলে। তাৰে ফলত উভয় পক্ষৰ মাজত যুদ্ধ অপৰিহাৰ্য্য হৈ পৰিল। মদিনাবাসী মুছলিমসকলে তাৰবাবে সাজু হবলৈ ধৰিলে।

ইফালে মক্কাৰ কোৰেইছবিলাকে হিযৰতৰ দ্বিতীয় বছৰত ইচ্লাম ধ্বংসৰ কাৰণে মদিনা আক্ৰমণ কৰিবলৈ খেদি আহিল। হজৰত মহম্মদে এই বাতৰি পাই মাত্ৰ তিনি শ তেৰজন লোকৰ মুছলিম বাহিনী এটা লৈ আগবাঢ়ি গ'ল। মদিনাৰপৰা তিনি দিনৰ বাট গৈ বদৰ নামে ঠাইত শত্ৰু পক্ষৰ লগত তেওঁৰ ভেটা-ভেটি হ'ল। কোৰেইছবিলাকে মক্কাৰপৰা দহ দিনৰ বাট গৈ এই ঠাই পাইছিল। তেওঁলোকৰ সৈন্য আছিল সংখ্যাত প্ৰায় এহেজাৰ। দুয়ো পক্ষৰ তুমুল ৰণ লাগিল। মুছলিমসকলে কোৰেইছবিলাকক পৰাস্ত কৰিয়ে নেৰিলে, তেওঁলোকৰ মুখ্য মুখ্য সেনা-পতিসকলকো নিহত কৰিলে। কোৰেইছবিলাক পলাল।

দ্বিতীয় বছৰত কোৰেইছবিলাকে আকৌ তিনি হেজাৰ সৈন্য সংগ্ৰহ কৰি মদিনা আক্ৰমণ কৰিবলৈ আহিল। তেওঁলোকে আহি মদিনাৰপৰা মাত্ৰ তিনি মাইল দূৰত উহুদ নামে পৰ্ব্বতৰ দাঁতিত ছাউনি পাতিলে। মুছলিম-বাহিনী সংখ্যাত আছিল মাত্ৰ সাত শ। যুদ্ধত দুয়োপক্ষৰ অনেক সৈন্য নিহত হ'ল। কোৰেইছবিলাকে হতাশ হৈ ৰণক্ষেত্ৰ ত্যাগ কৰি উভতি গ'ল।

উহুদৰ যুদ্ধৰ দুবছৰ পাছত কোৰেইছবিলাকে পুনঃ মদিনা আক্ৰমণ কৰিবলৈ যো-জা কৰিলে। এইবাৰ মক্কাৰ বিভিন্ন দলবোৰেও কোৰেইছ-বিলাকৰ লগত যোগদান দিলেহি। সম্মিলিত সৈন্য-বাহিনীৰ সংখ্যা এইবাৰ আৰু বাঢ়িল। কাৰো কাৰো মতে দহ আৰু কাৰো কাৰো মতে পচিশ হেজাৰ সৈন্যই এই বাহিনীত যোগদান কৰিছিল। এই সম্মিলিত বিৰাট বাহিনীয়ে এইবাৰ আহি মদিনা অৱৰোধ কৰিলে।

মুছলিমসকলে সন্মুখ-সমৰত এই বিৰাট বাহিনীৰ আগত থিয় দিব নোৱা-ৰিব যেন পাই, ছুৰৰ এটা নতুন কৌশল উদ্ভাৱন কৰিলে। নগৰৰ চতুৰ্দিশে এটা দ গৰখাৰৈ খন্দা হ'ল, যাতে আক্ৰমণকাৰী সৈন্যসকলে নগৰত সহজে প্ৰৱেশ কৰিব নোৱাৰে। তেতিয়া সন্মিলিত বাহিনীয়ে নগৰত প্ৰৱেশ কৰিব নোৱাৰি মদিনাবাসীক এমাহৰ কাৰণে অৱৰোধ কৰি ৰাখিছিল। পিছে, এদিন ৰাতি-নিশা এনে প্ৰচণ্ড ধুমুহা আৰু শিল-বৰষুণ হ'ল যে তাৰ প্ৰকোপত আক্ৰমণকাৰী সন্মিলিত বাহিনীৰ মনোবল ভাঙি গ'ল। ৰাতি নোপুৱাওঁতেই সিহঁতে ছত্ৰভঙ্গ দি মক্কা অভিমুখে উভতিবলৈ ধৰিলে। ইয়াৰ পাছত কোৰেইছসকলে আক্ৰমণৰ আশা সমূলি ত্যাগ কৰিলে। পাৰস্যৰ মুছলমান ফাৰ্চি নামে নতুনকৈ ইছলাম-ধৰ্ম গ্ৰহণ কৰা লোক এজনে এইদৰে ১৫ ফুট বহল আৰু ১৫ ফুট দকৈ গৰখাৰৈ খান্দি যুঁজিবলৈ উপদেশ দিছিল।

হিজৰতৰ ষষ্ঠ বছৰত মদিনাত থকা মুছলিমসকলে পবিত্ৰ কা'বা ঘৰীকত হজ কৰিবলৈ ইচ্ছা কৰিলে। মক্কা ত্যাগ কৰাৰ পাছত তেওঁলোকে মক্কাত থকা বৈতুল্লা দৰ্শন কৰি হজ কৰিবলৈ সুযোগ পোৱা নাছিল। হজৰত মহম্মদে প্ৰায় চৈধ্য হেজাৰ মুছলিম অনুগামী লগত লৈ হজৰ কাৰণে যাত্ৰা আৰম্ভ কৰিলে। মুছলিমসকলে হজৰতৰ নিৰ্দেশ মতে আত্মৰক্ষাৰ কাৰণে একোখন তৰোৱালে আৰু কোৰবানিৰ কাৰণে লগত সোটাচেৰেক উট-পশু লৈ গৈছিল। তৰোৱালবোৰ কোষত ঢাকি ৰাখিবলৈ আৰু হজৰতৰ বিনা অনুমতিত সেইবোৰ উলিয়াই নকৰিবলৈ নিৰ্দেশ দিয়া হৈছিল। লগত কোনেও অন্য একো অস্ত্ৰ নিব নোৱাৰিছিল।

সেই সময়ত মক্কাবাসী কোৰেইছসকলে মুছলিমসকলৰ কাৰণে পবিত্ৰ কা'বাঘৰলৈ যাব বন্ধ কৰি দিছিল। মুছলিমসকলৰ অনেকে সৰলভাৱে কোৱা-বুলি কৰি কোৰেইছসকলে তেওঁলোকক আগবঢ়ি ধৰিবলৈ থিৰি আছিল। হুদাইবিয়া নামে ঠাইত মুছলিমসকল বাধ্য হৈ ৰৈছিল। তাৰ পিছত হজৰত মহম্মদে কোৰেইছসকলৰ ওচৰলৈ এজন দূত পঠিয়ালে। দূতে গৈ ক'লে—মুছলিম [illegible] এইবাৰ [illegible] উমৰা বা [illegible]
[illegible]

তেওঁলোকৰ বাবে কা'বাশৰীফৰ দ্বাৰ উন্মুক্ত ৰাখিব লাগে। এয়ে তেওঁলোকৰ সনিৰ্বন্ধ অনুৰোধ।' কোৰেইছবিলাকেও দূত পঠিয়াই প্ৰতিপক্ষৰ লগত আলাপ-আলোচনা চলালে। দুয়োপক্ষৰ দূতৰ গমন-প্ৰত্যাগমন চলিল। পিছত মুছলিমসকলৰ দূত হজৰত উচমানক কোৰেইচবিলাকে বন্দী কৰি ৰাখি পৰীক্ষা চাবৰ কাৰণে প্ৰচাৰ কৰি দিলে যে তেওঁক হত্যা কৰা হৈছে। এই বাতৰি পাই মুছলিমসকল খং-আৰু বিৰক্তিত অধৈৰ্য্য হৈ পৰিল। তেওঁলোকে হজৰত মহম্মদৰ ওচৰত শপত গ্ৰহণ কৰি কলে যে এই কাৰ্য্যত ইচলামৰ সন্মান ৰক্ষাৰ কাৰণে তেওঁলোকে নিজৰ জীৱন পৰ্য্যন্ত আহুতি দিবলৈ সাজু থাকিব।

মুছলিমসকলৰ এনে দৃঢ় সংকল্পৰ কথা শুনি কোৰেইছবিলাকৰ মনত আতঙ্কৰ সৃষ্টি হ'ল। তেওঁলোকে মুছলিমসকলক যুদ্ধৰপৰা বিৰত ৰাখিবৰ উদ্দেশ্যে সন্ধিৰ প্ৰস্তাৱ পঠালে। উভয় পক্ষই তলৰ চৰ্ত্তবোৰ গ্ৰহণ কৰি সন্ধিসূত্ৰত আবদ্ধ হ'ল :—

(১) সেই বছৰৰ কাৰণে মুছলিমসকল সেই ঠাইৰপৰাই মদিনালৈ উলটি যাব লাগিব; আৰু পিছৰ বছৰত মক্কালৈ আহিব পাৰিব।

(২) তেওঁলোকে হজলৈ আহোঁতে লগত কোনেও একো অস্ত্ৰ-শস্ত্ৰ আনিব নোৱাৰিব। যদি বোলে লগত একোখন তৰোৱাল আনিব পাৰিব; কিন্তু সেই তৰোৱাল খাপৰ ভিতৰতে থাকিব, তাক কোনেও কাহিলৈকো কোষমুক্ত কৰি ৰাখিব নোৱাৰিব।

(৩) মুছলিমসকল তিনি দিনতকৈ সৰহ কাল মক্কাত থাকিব নোৱাৰিব।

(৪) যদি কোনো কোৰেইছ [illegible] তেওঁলোকৰ লগত মদিনালৈ যায়, [illegible]

[illegible]

এইখনেই সন্ধিপত্ৰ"- প্ৰথমৰ এই বাক্যটো পঢ়িয়েই কোৰেইছৰ প্ৰতিনিধিজনে মাত লগালে—'আল্লাৰ পয়গম্বৰ বুলি কিয় লিখিছা? আমি যদি, তেওঁক আল্লাৰ পয়গম্বৰ বুলি স্বীকাৰ কৰিলোহেঁতেন, তেন্তে তেওঁৰ আমাৰ মাজত এনে যুদ্ধ-বিগ্ৰহেই নহ'লহেঁতেন।"

এই কথা শুনি হজৰত মহম্মদে কৈছিল—"মই নিশ্চয় আল্লাৰ পয়গম্বৰ কিন্তু তোমালোকে যিহেতু এই শব্দটো মোৰ নামৰ লগত লিখাত আপত্তি কৰিছা, তাত বাৰু সেই শব্দ [illegible]" [illegible] হজৰত আলীক সেই শব্দ কাটি পেলাবলৈ আদেশ দিছিল।

সন্ধিৰ চৰ্তবোৰ দেখাদেখিকৈ মুছলিমসকলৰ স্বাৰ্থৰ প্ৰতিকূল যেন লাগে যদিও এই সন্ধিয়ে যেতিয়া কিছু দিনৰ কাৰণে শান্তি আনিছিল। হুদেবিয়াৰ সন্ধিক কোৰাণত মুছলমানসকলৰ কাৰণে এটা "স্পষ্ট বিজয়" বোলা হৈছে। কাৰণ ইয়াৰ পাছত ইছলাম ধৰ্মই ব্যাপকভাৱে প্ৰচাৰ লাভ কৰে। এই সন্ধিয়ে এইটোও স্পষ্টকৈ প্ৰতিপন্ন কৰে যে মুছলিমসকলে যুদ্ধ বিচৰা নাছিল, বিচাৰিছিল শান্তি আৰু ইছলামত বিশ্বাস ৰাখি ধৰ্ম প্ৰচাৰ কৰিবলৈ স্বাধীনতা।

হুদেবিয়াৰ সন্ধি কিন্তু দীৰ্ঘকাল স্থায়ী নহ'ল। [illegible] এই সন্ধি কৰা হৈছিল যদিও [illegible] [illegible] কোৰেইছসকলে [illegible] [illegible] নাগৰিক [illegible] [illegible] [illegible]

[illegible]

মহম্মদে তেওঁক ৰক্ষা কৰি মুক্তি দিলে। এই ব্যৱহাৰত আবু চুফিয়ান তেনেই মুগ্ধ হ'ল আৰু তমুহূৰ্ততে তেওঁ ইচ্‌লামধৰ্ম গ্ৰহণ কৰিলে।

হজৰত মহম্মদে দহেজাৰ মক্কাত প্ৰৱেশ কৰি এনিবাৰে তেওঁৰ মুছলিম সৈন্যক অস্ত্ৰেৰে প্ৰতিৰোধ নকৰে তেওঁলোকৰ লগত কোনো প্ৰকাৰ যুদ্ধ-বিগ্ৰহ নহয় বুলি ঘোষণা কৰি দিলে। হজৰতৰ বিজয়-বাহিনীক প্ৰতি-ৰোধ কৰিবলৈ তেতিয়া কাৰো সাহস বা সামৰ্থ্য নহ'ল। তেওঁ একপ্ৰকাৰ বিনা ৰক্তপাতে যুদ্ধ জয় কৰিলে। মক্কাবাসী যি কোৰেইছবিলাকে ইচ্‌লাম বিনাশৰ কাৰণে সদা-সৰ্বদা যত্ন কৰি আছিল আৰু আনকি হজৰত মহম্মদৰ প্ৰাণ পৰ্যন্ত সংহাৰ কৰিবলৈ ষড়যন্ত্ৰ চলাইছিল, তেওঁলোকৰ প্ৰতিও হজৰত মহম্মদে মনত কোনো প্ৰকাৰ শত্ৰুতা পোষণ নকৰিলে। তেওঁ মক্কাবাসী-সকলক তেওঁৰ বিজয়ী-বাহিনীৰ সন্মুখত নতশিৰে থকা দেখি কলে—'হে কোৰেইছসকল, হে মক্কাবাসীসকল, মোৰ বাবা তোমালোকে আজি কেনে ব্যৱহাৰ পাবলৈ বাঞ্ছা কৰা?'

মক্কাবাসী লোকে হজৰত মহম্মদক, তেওঁলোকৰ তাহানিৰ অল-আমীন্ অৰ্থাৎ বিশ্বাসী মহম্মদক বুলিবলৈ বাকী নাছিল। তেওঁলোকে গোনেই উত্তৰ দিলে—'কিয়? আপুনি আজি আমাৰ কাৰণে এজনা উচ্চ-মনা উদাৰ ভ্ৰাতৃ।' তাৰ উত্তৰত হজৰত মহম্মদে যি সমিধান দিলে সি তেওঁ-লোকক অত্যধিক অভিভূত কৰিলে। তেওঁ সমবেত জনতাক সম্বোধন কৰি কলে—'তাহানি এদিন হজৰত ইউচুফে তেওঁৰ অপৰাধী ভ্ৰাতৃসকলক যিদৰে কৈছিল, মইয়ো আজি ঠিক সেইদৰে তোমালোকক কওঁ—তোমা-লোকৰ বিৰুদ্ধে মোৰ মনত কোনো প্ৰকাৰ আক্ষেপ বা অভিযোগ নাই। আল্লাই তোমালোকক ক্ষমা কৰক; কাৰণ তেওঁহে ক্ষমা আৰু কৰুণাৰ মালিক। যোৱা, তোমালোক সকলো আজি মুক্ত।' কথা শুনি নতশিৰ মক্কাবাসীসকলৰ বুকু আনন্দ আৰু কৃতজ্ঞতাত খোঁদি-বাখোঁদি লাগিল। মক্কা-বাহিৰৰ অগণন লোকে দলে দলে আহি তেওঁ প্ৰবৰ্তন কৰা ইচ্‌লাম ধৰ্মত দীক্ষা লবলৈ ধৰিলে।

মক্কাত শান্তি স্থাপন হ'ল যদিও কিন্তু তাৰ উত্তৰকালে বহুতো বৈৰিতাৰ শক্তি জাগি উঠিল। আৰব আক্ৰমণ কৰিবৰ কাৰণে উত্তৰৰ ৰোমান সাম্ৰা-

ক্যৰ মহা সমাৰোহ চলিল। হজৰত মহম্মদে এই আয়োজনৰ [illegible] [illegible] ত্ৰিশ হেজাৰ সৈন্য লৈ যুদ্ধ-যাত্ৰা কৰি আৰৱৰ উত্তৰ-সীমান্ত [illegible]। তবুক নামে ঠাইত উপনীত হৈ তেওঁ [illegible] [illegible] যুদ্ধৰ আশা ত্যাগ কৰিছে। হজৰত মহম্মদে [illegible] [illegible] যুদ্ধ-ঘোষণা নকৰি মক্কালৈ ঘূৰি আহিল। [illegible] [illegible] শান্তি বিৰাজ কৰিলে আৰু নানা ঠাইৰ মানুহে [illegible] হজৰতৰ [illegible] ইচলামৰ ধৰ্ম-বাণী শুনি ইচলাম ধৰ্ম গ্ৰহণ কৰিবলৈ ধৰিলে। [illegible] লোকসকলৰ আচাৰ-ব্যৱহাৰ, নীতি-নিয়ম আৰু জীৱন-ধাৰণৰ প্ৰণালীৰ আমূল পৰিবৰ্তন ঘটিল। অন্ধ বিশ্বাস ত্যাগ কৰি জ্ঞান-বিজ্ঞানৰ চৰ্চাত আৰৱ-সকলে আত্ম-নিয়োগ কৰিবলৈ আৰম্ভ কৰিলে। হজৰত মহম্মদৰ মক্কা প্ৰৱেশৰ প্ৰায় দুবছৰতকৈও কম সময়ৰ ভিতৰতে সমস্ত আৰৱ দেশত ইচলাম ধৰ্ম প্ৰচাৰ হ'ল।

সেই সময়লৈ কা'বা ঘৰৰ ভিতৰতে মূৰ্তি-পূজা চলি আছিল। হজৰত মহম্মদে মক্কা-প্ৰৱেশৰ পাছত কা'বা ঘৰৰ ভিতৰলৈ সোমাই গৈ তাত থকা ৩৬০ টা মূৰ্তি আঁতৰাই পেলাবলৈ নিৰ্দেশ দিয়ে আৰু সেইমতে কাম হয়। এসময়ত হজৰত ইব্ৰাহিম আৰু তেওঁৰ পুত্ৰ হজৰত ইস্মাইলে অশেষ কষ্টেৰে সজা কা'বা ঘৰৰ তেওঁ তেতিয়া অতি শ্ৰদ্ধাৰে সাতবাৰ প্ৰদক্ষিণ কৰি প্ৰৱেশ কৰিছিল আৰু এক আৰু অদ্বিতীয় আল্লাৰ উদ্দেশ্যে সজা সেই কা'বা ঘৰত মুৱাজ্জিনৰ আজানৰ ধ্বনিৰে চতুৰ্দিক মুখৰিত কৰি নমাজ আৰম্ভ কৰিছিল।

হিজৰীৰ দশম বছৰত হজৰতে পাৰ্থিৱ সকলো কৰ্তব্য সমাধা কৰি জীৱনত শেষ বাৰৰ কাৰণে হজ কৰিবলৈ ইচ্ছা কৰিলে। তেওঁৰ লগতে এক লাখ আশীহেজাৰ মুচলিম অনুগামীয়ে সেই হজত যোগদান দিলে। সম্ভৱতঃ আৰৱে কোনো নবীৰ জন্মত তেওঁৰ জীৱিতাৱস্থাত ইমান অনুগামীৰ প্ৰাৰ্থনা সমাৰোহ দেখা নাছিল। হজৰতে পাহাৰ এখনত উঠি তেওঁৰ অনুগামী সকলক মাতি কৈছিল—"হে বিশ্ববাসীসকল, মক্কা ঘৰৰ হজ উপলক্ষে জীৱনত দুনাই তোমালোকৰ লগত এইদৰে সাক্ষাৎ হব পাৰিম বুলি মই আৰু আশা নকৰো। শক্তিৰে আজিৰ এই মিলনৰ মই সম্পূৰ্ণ সুযোগ লব খুজিছো। ইচলাম ধৰ্ম প্ৰবৰ্তনৰ পূৰ্বে তোমালোকৰ মাজত বিৰোধ যু

ৰীতি, কু-আচাৰ চলি আছিল সেইবোৰ এতিয়া তোমালোকে সকলোৱে ত্যাগ কৰিবা। তোমালোক সকলো ভাই ভাই। আজিৰ দিনটো, এই মাহ আৰু এই ঠাইখিনি যেনে পবিত্ৰ আৰু অলঙ্ঘনীয়, তোমালোকৰ পৰস্পৰৰ প্ৰাণ আৰু মৰ্য্যাদাও তেনে পবিত্ৰ আৰু অলঙ্ঘনীয়। আল্লাৰ চকুত সকলো সমান; কিয়নো মানৱজাতি আদমৰ সন্তান আৰু আদমৰ সৃষ্টি হৈছিল মাটিৰপৰা। তিৰোতাৰ যত্ন লবা। অসহায়ক সহায় কৰিবা। তোমালোকে নিজে যি খাদ্য খোৱা তোমালোকৰ দাস-দাসীকো তাকে খাবলৈ দিবা; যি কাপোৰ নিজে পিন্ধা সিহঁতকো তাকে পিন্ধিবলৈ দিবা। মই আজি তোমালোকলৈ এটা মূল্যৱান বস্তু এৰিলোঁ। সেই অমূল্য বস্তুটো হৈছে পবিত্ৰ কোৰাণ। কোৰাণে প্ৰতিপন্ন কৰিছে যে আল্লা এক আৰু তেঁৱেই চিৰ সত্য।'

৬৩২ খ্ৰীষ্টাব্দৰ মে' মাহত, হিজ্ৰাতৰ একাদশ বছৰত, ৬৩ বছৰ বয়সত হজৰত মহম্মদ মদিনাত পৰে আৰু জুন মাহৰ ৮ তাৰিখে সোমবাৰে তেওঁ ইহলীলা সম্বৰণ কৰে। মৃত্যুৰ সময়ত তেওঁ তিনিবাৰ ওপৰলৈ আঙুলিয়াই প্ৰত্যেক বাৰতে কৈছিল—'তেঁৱেই মোৰ পৰম বন্ধু। তেওঁৰ ওচৰলৈ যাওঁ।' মৃত্যুৰ আগ মুহূৰ্তত তেওঁ নিজ কন্যা ফাতিমাক ওচৰলৈ মাতি নি কম্পিত-কণ্ঠে কৈছিল—'মৰমৰ ফতিমা, নমাজৰ অনুষ্ঠান কৰিবা আৰু দাসবিলাকৰ প্ৰতি সদয় হবা।'

পৃথিৱীৰ আজি এক-পঞ্চমাংশ লোক ইচ্‌লাম ধৰ্মৰ উপাসক। এই ধৰ্মৰ প্ৰবৰ্ত্তক হজৰত মহম্মদে নিজে নিৰক্ষৰ হৈ কিদৰে আল্লাৰ অনুগ্ৰহ লভিবলৈ সমৰ্থ হৈছিল, আৰু নিজৰ জীৱিতাৱস্থাতে মাত্ৰ কুৰি বছৰৰ ভিতৰতে বিশাল ধৰ্ম-ৰাজ্য স্থাপন কৰিবলৈ সক্ষম হৈছিল তাৰ তুলনা ইতিহাসত দুষ্প্ৰাপ্য।

হজৰত মহম্মদক তেওঁৰ পত্নী আয়েছাৰ শুৱনি কোঠাত সমাহিত কৰা হৈছিল। পাছত হজৰতৰ অন্তৰঙ্গ বন্ধু, প্ৰথম খলিফা আবু বকৰ আৰু দ্বিতীয় খলিফা উমৰকো তেওঁৰ কবৰৰ কাষত মৈদাম দিয়া হৈছিল। কালক্ৰমত এই কবৰ কেইটাৰ ওপৰত এটা ডাঙৰ মছজিদ নিৰ্মাণ কৰা হয়, এটা ডাঙৰ মছজিদ এটা উঠিছে। আজিও মুছলমান জগতে মদিনাৰ এই পবিত্ৰ মছজিদলৈ তীৰ্থযাত্ৰা কৰে।

হজৰত মহম্মদৰ দৈনন্দিন জীৱন সাধাৰণ ধৰণৰ আছিল। তেওঁ নিজে নিজক কেতিয়াও অসাধাৰণ পুৰুষ বুলি [illegible] কোনো অলৌকিক কাৰ্য্যৰ দ্বাৰা জনসাধাৰণক বিস্ময় ঘটাব চেষ্টা নকৰিছিল। আল্লাৰ একত্ব আৰু মহত্ব প্ৰচাৰেই তেওঁৰ জীৱনৰ মূল উদ্দেশ্য আছিল। তেওঁ নিজ-হাতে জীৱনৰ সকলো প্ৰয়োজনীয় কাম কৰিছিল। তেওঁ নিজে উট চৰাইছিল, ছাগলী বান্ধিছিল, কাপোৰ ধুইছিল আৰু জোতা-চিলা, কাপোৰ সী লৈছিল। অকল সেয়ে নহয়, কোনো কোনো সময়ত তেওঁ নিজে ঘৰ ৰচিছিল আৰু নিজৰ জোতা চিলাই কৰি লৈছিল। মদিনাৰ প্ৰথম মছজিদটো নিৰ্মাণ কৰা সময়ত তেওঁ নিজে টুকুৰী মূৰত লৈ মাটি কঢ়িয়াইছিল।

হজৰত মহম্মদে যৱ বা ধানৰ ৰুটি খাইছিল আৰু মাজে মাজে উপবাস খাটি খাজুৰ আৰু পানী খাইছিল। বিলাসিতা তেওঁ সমূলি ভাল নাপাই-ছিল। মদ তেওঁ কেতিয়াও স্পৰ্শ কৰা নাছিল—আৰু নিৰ্মল শীতল জল তেওঁৰ অতি প্ৰিয় পানীয় আছিল। স্নানাদি সকলো কামতে তেওঁ ঠাণ্ডা পানী ব্যৱহাৰ কৰিছিল। পিয়াজ, নহৰু আদি গন্ধযুক্ত আৰু কোনো বস্তু একো খাবলৈ ভাল নাপাইছিল। তেওঁৰ বেছি কাপোৰ নাছিল আৰু যি আছিল সেইখিনিও তেনেই সাধাৰণ বিধৰ আছিল। বগৰি বৰ তেওঁৰ প্ৰিয় আছিল। তেওঁ উদা ভৰিৰে ভ্ৰমণ কৰি আৰাম পাইছিল। সদায় চান শয্যাত আৰু কেতিয়াবা কেতিয়াবা পাটি পাৰি মাটিত শুইছিল। তেওঁ বাসকৰা ঘৰটোৰ বেৰবোৰ খাজুৰ পাতৰ আছিল। মুঠতে কোনো প্ৰকাৰৰ আড়ম্বৰ তেওঁ সমৰ্থন নকৰিছিল।

ভুখ-কষ্ট, বিপদ-বিপৰ্যয় আদিত হজৰত মহম্মদ কেতিয়াও অভিভূত ন-হৈছিল। বন্ধুসকলৰ লগত আলাপ-আলোচনা কৰোঁতে তেওঁ কেতিয়াও তেওঁলোকতকৈ উচ্চ আসনত নবহিছিল। তেওঁ নিজৰ সময়খিনিক তিনি ভাগ কৰি এভাগ প্ৰাৰ্থনাত, এভাগ নিজৰ পৰিয়ালত আৰু তৃতীয় ভাগ জনসেৱাত নিয়োগ কৰিছিল। প্ৰাৰ্থনা কৰি তেওঁ অধিক [illegible] আৰু কেতিয়াবা কেতিয়াবা প্ৰাৰ্থনাৰ সময়ত [illegible] পোহাইছিল। [illegible] তেওঁ [illegible] আছিল।

হজৰত মহম্মদে খোজ কাঢ়োঁতে সদায় বেগাই খোজ কাঢ়িছিল। সৰুলো কামতে তেওঁ পৰিষ্কাৰ-পৰিচ্ছন্ন আৰু পৰিপাটি আছিল। তেওঁ কেতিয়াও প্ৰয়োজনতকৈ বেছি কথা নকৈছিল। কাৰো মনত তেওঁ কেতিয়াও আঘাত নিদিছিল। ধৰ্ম বিষয়ত তৰ্ক তেওঁ সমূলি ভাল নাপাইছিল। অতিথি-সেৱা তেওঁৰ অতি প্ৰিয় কাম আছিল।

মদিনাত থকা কালত এবাৰ কিছুমান মানুহে চাঙিত তুলি মৰা-শ এটা কাষতকৈ নিছিল। সেই সময়ত হজৰত বন্ধু জনদিয়েকৰ লগত বহি কথা-বতৰাত ব্যস্ত আছিল। তেওঁ হঠাৎ মৰাশটো দেখি বহা ঠাইৰপৰা থিয় হ'ল আৰু তাৰ প্ৰতি সম্মান দেখুৱালে। তাকে দেখি বন্ধু এজনে কলে—'ই এটা ইহুদীৰহে মৰা শ!' হজৰত মহম্মদে উত্তৰ দিলে—'ই জানো এটা আত্মাৰ আধাৰ নাছিল? তাৰ পাছত তেওঁ কলে—'মৰা শ যাৰেই হওক, থিয় হৈ তাৰ প্ৰতি শ্ৰদ্ধা দেখুওৱা; ইহুদী, খ্ৰীষ্টান, কাফ্ৰী, মুছলমানৰ ব্যৱধান তাত নাখাটে।'

এবাৰ নিষ্ঠুৰ শত্ৰু কেইজনমানক অভিশাপ দিবলৈ তেওঁক অনুৰোধ কৰাত হজৰতে কৈছিল—'মোক আল্লাই অভিশাপ দিবলৈ পঠোৱা নাই; দয়া কৰিবলৈহে পঠাইছে; কাৰণ তেওঁ নিজে দয়াৰ সাগৰ।'

বোছৰাৰ আবু জাবিৰাই এবাৰ হজৰত মহম্মদৰ ওচৰচাপি তেওঁক এটা মাত্ৰ উপদেশ দিবলৈ অনুৰোধ কৰাত হজৰতে কৈছিল—'কাৰো কু-চৰ্চা নকৰিবা।'

ধৰ্ম বিষয়ত তেওঁ সদায় ব্যক্তিৰ স্বাধীনতা স্বীকাৰ কৰিছিল। নিজেও সেই স্বাধীনতা লাভৰ কাৰণে আৱশ্যকমতে যুদ্ধ পৰ্যন্ত কৰিবলৈ হেলা নকৰিছিল। তেওঁ মক্কা আৰু মদিনাত থকা কালত অনেক ইহুদী আৰু খ্ৰীষ্টান নাৰীয়ে মুছলিম পতি গ্ৰহণ কৰিও তেওঁলোকৰ নিজ নিজ ধৰ্ম আচৰণ কৰি আছিল।

সঘনে হোৱা তুমুল যুদ্ধ-বিগ্ৰহৰ ফলত আৰবত সেই সময়ত হাজাৰ-বিজাৰ লোক নিহত হৈছিল। অনাথিনী তিৰোতাবোৰক আশ্ৰয় দিয়াৰ কাৰণে হজৰত মহম্মদে প্ৰত্যেক উপযুক্ত পুৰুষৰ কাৰণে একাধিক পত্নী গ্ৰহণ, বিশেষকৈ বিধৱা বিবাহ সমৰ্থন কৰিছিল। তেওঁ নিজেও তেনে আৱশ্যকতা উপস্থিত হোৱাত বহুতো বিবাহ কৰিবলৈ বাধ্য হৈছিল। ২৫ বছৰ বয়স-

কৈছে হজৰত মহম্মদে বিয়া কৰোৱা নাছিল। ২৫ বছৰ বয়সৰপৰা ৫৩ বছৰ বয়সলৈ তেওঁ একপত্নীক ভাবে এগৰাকী পত্নীৰ লগতেই বৈবাহিক জীৱন অতিবাহিত কৰিছিল। ৫৩ বছৰ বয়সৰপৰা ৬০ বছৰ বয়সৰ ভিতৰত এই সাত বছৰত তেওঁ বহুবিবাহ কৰে আৰু ৬০ বছৰৰ পাছৰপৰা মৃত্যু পৰ্যন্ত নতুনকৈ বিয়া কৰোৱা নাছিল। ডেকা বয়সত তেওঁলোকে ১৫ বছৰৰ ডাঙৰ বিধৱা খদীজা বিবিক বিয়া কৰাবলৈ বাধ্য হোৱা, ৫০ বছৰ পৰ্যন্ত এক-পত্নীকভাৱে জীৱন যাপন কৰা আৰু তাৰ পাছতহে বহুবিবাহ কৰিছিল, এইবোৰ-টোৱে প্ৰমাণ কৰে যে হজৰত মহম্মদে তেওঁ প্ৰচাৰ কৰা মতে অনাথিনী নাৰীক আশ্ৰয় দিবৰ কাৰণেহে বহু-বিবাহত লিপ্ত হ'বলগীয়াত পৰিছিল। তেওঁ কোনো দিন ভোগ বা কামনাৰ বশৱৰ্তী হোৱা নাছিল। বিশাল সাম্ৰাজ্য এখনৰ অধীশ্বৰ হৈও টান বিছনাত শোৱা, ৰাতি নিশাটো প্ৰাৰ্থনাত ৰত থকা আদি অভ্যাসবোৰেই তাৰ সাক্ষী। বিবি আয়েছাত বাহিৰে তেওঁৰ বাকী পত্নীসকল আটায়ে নিৰাশ্ৰয়া বিধৱা আছিল। ভোগ-বিলাসৰ কাৰণে ইচ্ছা কৰা হলে হজৰতে বিধৱা বিবাহ নকৰি ৰূপৱতী গাভৰুহে পাণি-গ্ৰহণ কৰিলেহেঁতেন। তেওঁৰ মতে নাৰীৰ পবিত্ৰতা ৰক্ষা তেওঁলোকৰ দৈহিক কামনা নিবৃত্তিতকৈ অধিক প্ৰয়োজনীয়। কোনো কোনো ক্ষেত্ৰত তেওঁ ৰাজনৈতিক কাৰণতো বিবাহ-পাশত আবদ্ধ হ'বলগীয়া হৈছিল। জুবেৰীয়া নামে এগৰাকী বিধৱাক তেওঁ বিয়া কৰাইছিল দুটা বিবদমান দলৰ মিলনৰ উদ্দেশ্যে। ঠিক তেনেকৈ ছফিয়া নামৰ ইহুদী বিধৱা এগ-ৰাকীকো তেওঁ ইহুদীসকলক হাত কৰিবৰ কাৰণেই বিয়া কৰাইছিল। অপমান-অপযশৰপৰা ৰক্ষা কৰিবলৈ তেওঁ স্বামীয়ে তালাক দিয়া পৰিত্যক্তা ৰমণীকো আশ্ৰয় দি পত্নীৰূপে গ্ৰহণ কৰিবলৈ ইতস্ততঃ নকৰিছিল। তেওঁৰ পত্নী জৈনাব বিবি তাৰেই এটি পৰিচয়। জৈনাব আছিল জৈদ নামৰ তেওঁৰ এসময়ৰ মুক্তিদান কৰা এটা দাস। জৈদে এৰি দিয়াত জৈনাবৰ অৱস্থা অতিশয় শোচনীয় হৈ পৰিছিল। হজৰতৰ আশ্ৰয় লাভ নকৰা হলে তেওঁৰ অৱস্থা কি হ'লহেঁতেন অনুমান কৰা টান।

হজৰত মহম্মদ যেতিয়া ৰাষ্ট্ৰৰ প্ৰকৃত অধিনায়ক হৈ পৰিছিল, যেতিয়া তেওঁৰ অভাৱ বুলিবলৈ একো নাছিল, তেতিয়াও তেওঁ সকলো প্ৰকাৰৰ সাধাৰণ জীৱন যাপন কৰিছিল। তাল-পাতৰ শোৱাপাটী এটা আৰু চুকত

থকা এটা মাটিৰ কলহ, এই দুটা বস্তুৱেই তেওঁৰ ঘৰখনৰ সাধাৰণ অৱস্থা-টোৰ সদায় সাক্ষী দি আছিল। কেতিয়াবা তেওঁ এসাজ নোখোৱাকৈয়ে কটাইছিল। কেতিয়াবা গোটেই পৰিয়ালটোৱে কঁকা-ঘটা মাত্ৰ দুই খাজুৰ আৰু ঠাণ্ডা পানী খাই কটাইছিল। অথচ, জনসাধাৰণৰ ধন-সম্পত্তিৰ তেৱেঁই আছিল তেতিয়া অপ্ৰতিদ্বন্দ্বী মালিক, সৰ্ব্বময় কৰ্তা।

মদিনাত থকা সময়ত মুছলিমসকলৰ অৱস্থা বেপাৰ-বণিজৰ ফলত বহুত পৰিমাণে স্বচ্ছল হৈ উঠিছিল। আমোদ-আৰামত থকা অন্যান্য মুছলিম নাৰীক দেখি এদিন হজৰত মহম্মদৰ পত্নীসকলেও আলচ কৰি হজৰতৰ ওচৰলৈ গৈ তেওঁলোককো তেনে ধৰণৰ সুখভোগ দিবলৈ তেওঁক খাটিলে। তেতিয়া তেওঁ পত্নীসকলক কৈছিল—‘তোমালোকে যদি এনেকৈ পাৰ্থিৱ আমোদ-প্ৰমোদ আৰু সা-অলঙ্কাৰৰ প্ৰাচুৰ্য্য লভিবলৈ অভিলাষ কৰা, তেনে-হলে মই আজিয়ে তোমালোকক ইচ্ছামতে সা-অলঙ্কাৰ আৰু মা-সম্পত্তি দান কৰি সসম্মানে মোৰ এই ঘৰৰপৰা বিদায় দিম। কিন্তু তাকে নকৰি যদি তোমালোকে আল্লা আৰু তেওঁৰ ৰছুলক বিচৰা পৰলোকৰ কামনা কৰা, তেন্তে আল্লাই তোমালোকৰ কাৰণে প্ৰচুৰ প্ৰতিদান ৰাখিছে।’ পত্নীসকলে তেতিয়া পাৰ্থিৱ কষ্টৰ মাজেদিয়ে হজৰতৰ সান্নিধ্য লাভ কৰি শান্তিত কাল কটাবলৈ স্থিৰ কৰিলে। তেওঁলোকে হজৰতৰ ওচৰত ক্ষমা ভিক্ষা কৰিলে।

সদায় টান বিছনাত শয়ন কৰা হজৰতৰ বিছনাখন এদিনাখন তেওঁৰ লগুৱাবোৰে কোমল কৰি ৰাখিবৰ উদ্দেশ্যে তাত থকা কম্বলখন চাৰি ভাঁজ কৰি পাৰি থলে। কোমল বিছনাত হজৰতৰ সেই নিশা আগতকৈ ভালকৈ টোপনি আহিল। পিছদিনা পুৱা সাৰ পাই তেওঁ লগুৱাবোৰক কলে—“কম্বলখন আগলৈ দুভাঁজতকৈ বেছি ভাঁজ দি নাপাৰিবা; পাৰিলে বিছনা কোমল হয়। আজি তেনেকুৱা কোমল বিছনা হোৱা বাবে টোপনি অহাত মই ৰাতিৰ নমাজ হেৰুৱালোঁ। বিছনাখন কেতিয়াও আৰাম লগা হব নালাগে। হলে, সি আল্লা-প্ৰাপ্তিৰ প্ৰতিবন্ধক হয়।’ হজৰত মহম্মদৰ পিন্ধা কাপোৰ মাত্ৰ দুযোৰা আছিল। তাৰে এযোৰা পিন্ধি অন্য যোৰা তেওঁ নিজ হাতে ধুই লৈছিল।

হজৰতৰ জগৰীয়া এজন কণলৈ গৈছিল। তেওঁৰ বহুত দেনা আছিল আৰু দুৰ্ভাগ্যবশতঃ তেওঁৰ পত্নীয়ে দেনা ধাৰৰ নাজানিছিল। তাতে,

হজৰতে নিজে গৈ সদায় সেই তিৰোতাগৰাকীৰ সেৱা শুশ্ৰূষা দি আহি-ছিল। মদিনাত থকা কালত শত্ৰুৱে মদিনা আক্ৰমণ কৰিবলৈ যোৱাত তেওঁ তেওঁৰ অনুগামী মুছলিমসকলৰ লগত মিলি কুঠাৰ লৈ কোদালেৰে খন্দাত লাগিছিল।

প্ৰাৰ্থনাৰ প্ৰয়োজনীয়তা সম্পৰ্কে হজৰতে কৈছিল এই দিনে পাঁচবাৰকৈ গা-ধুলে যেনেকৈ গাত মলি থাকিব নোৱাৰে, সেইদৰে দিনে পাঁচবাৰকৈ নমাজ পঢ়ি আল্লাক প্ৰাৰ্থনা জনালেও মানুহৰ মন পবিত্ৰ হয়।

যুদ্ধৰ সময়ত হজৰত মহম্মদে তেওঁৰ সৈন্যসকলক উপদেশ দি কৈছিল— 'মনত ৰাখিবা আমাৰ উদ্দেশ্য যুদ্ধ কৰাটো নহয়, আমাৰ উদ্দেশ্য সত্য আৰু আল্লাৰ জ্ঞান-প্ৰচাৰ কৰাটোহে। শত্ৰুক দয়া কৰিবা আৰু যুদ্ধ নকৰি সোন প্ৰথমে শান্তিৰ প্ৰস্তাৱ দিবা। শিবিৰলাকে যদি শান্তিৰ প্ৰস্তাৱ 'গ্ৰহণ' কৰে তেন্তে তুৰন্তে শিবিৰলাকৰ লগত মিত্ৰতা কৰিবা; কিন্তু যদিহে শিবিৰলাক যুঁজ কাৰণে প্ৰস্তুত হয় তেন্তে বীৰৰ দৰে যুদ্ধ কৰিবা। যুদ্ধত বিশ্বাস-ঘাতকতা নকৰিবা। ল'ৰা, তিৰোতা, বুঢ়া, সন্ন্যাসী আৰু পুৰোহিতক বধ নকৰিবা। ফল, শস্যাদি নষ্ট নকৰিবা। কোনো ঘৰ ভাঙি নেপেলাবা।'

এবাৰ এঠাইত অকলে বহি থাকোঁতে এটা তৰোৱালধাৰী শত্ৰুৱে তেওঁৰ সন্মুখত কোষ-মুক্ত তৰোৱাল জোকাৰি কৈছিল—'মহম্মদ, এতিয়া তোমাক ৰক্ষা কৰিব কোনে? তোমাৰ প্ৰাণ আজি মোৰ হাতত।' মহম্মদে উত্তৰ দিছিল—'আল্লাই।' কথাষাৰ কৈয়ে হজৰতে কিন্তু চকুৰ পচাৰতে তাৰ হাতৰপৰা নিজৰ হাতলৈ সেই তৰোৱাল আনিলে আৰু কলে—'এতিয়া? এতিয়া তোমাক ৰক্ষা কৰিব কোনে?' তেওঁ উত্তৰ দিলে—'তুমি।' হজৰতে তাক কলে, 'তুমি বাৰু মুক্ত। এতিয়া যাব পাৰা।'

হজৰতে তেওঁৰ প্ৰথমা পত্নী খদীজাৰ প্ৰতি সদায় শ্ৰদ্ধাপূৰ্ণ প্ৰেম প্ৰদৰ্শন কৰিছিল। বিবি খদীজাৰ মৃত্যুৰ পাছত তেওঁ যেতিয়া খদীজাৰ স্মৃতি মনলৈ আনি মাজে সময়ে তেওঁৰ কথা প্ৰীতিপূৰ্ণ প্ৰভাৱে উল্লেখ কৰিছিল তেতিয়া এদিন তেওঁৰ ৰূপৱতী ভাৰ্য্যা আয়েছাই ঈৰ্ষাপৰায়ণা হৈ কৈছিল— 'খদীজা জানো বুঢ়ী নাছিল আৰু আল্লাই জানো তেওঁৰ ঠাইত আপোনাক আজি তেওঁতকৈও উত্তম নৱপ্ৰ একোজনী দিয়া নাই?' হজৰতে উত্তৰ দিছিল, 'তেওঁতকৈ উত্তম আৰু কোনো হ'ব নোৱাৰে; কাৰণ, আৰু

সকলোবোৰ লোকে মোক দেখিলে হাঁহি-ঠাট্টা কৰি গৰিহণা দিছিল, তেওঁ মোক তেতিয়া সহায় আৰু সহানুভূতিৰে মোৰ মৰহি যোৱা মনটো সঞ্জীৱিত কৰিছিল।'

হজৰত মহম্মদে এদিন বহুত পুৰুষ আৰু মহিলাক নিজ হাতেৰে খাদ্য বিলাই দিছিল। এনেতে এগৰাকী ডুখুনী তিৰোতাই তেওঁক দেখা কৰিবলৈ অভিলাষ কৰি খবৰ পঠিয়ালে। খবৰ পাই তেওঁ ওলাই আহিল আৰু তিৰোতাগৰাকীক ভিতৰলৈ নি আদৰ-সাদৰেৰে নিজৰ গাত লোৱা চাদৰখনকে বহিবলৈ মাটিত পাৰি দিলে। উপস্থিত ভদ্ৰলোক আৰু ভদ্ৰমহিলাসকলে পাছত অনুসন্ধান কৰি জানিব পাৰিলে যে সেই তিৰোতাগৰাকী হজৰতৰ শৈশৱৰ ধাই-মাক।

মদিনাত থকা সময়ত হজৰত মহম্মদে যিটো মছজিদত নমাজ পঢ়িছিল তাৰ তত্ত্বাৱধানকাৰী হিচাপে আছিল এগৰাকী বৃদ্ধা মহিলা। সদায় তেওঁ মছজিদটো সাৰি-মচি পৰিষ্কাৰকৈ ৰাখিছিল। এদিন হজৰতে নমাজৰ সময়ত তেওঁক নেদেখি নগৰীয়াবোৰক তেওঁৰ বিষয়ে সুধিলে। নগৰীয়াবিলাকে কলে যে আগনিশা বুঢ়ীজনী ঢুকাল। হজৰতে কৈ উঠিল—'তোমালোকে মোক খবৰ নিদিলা কিয়?' ইয়াকে কৈ তেওঁ বুঢ়ীৰ কবৰলৈ গৈ বন্ধুসকলৰে সৈতে বুঢ়ীৰ আত্মাৰ মুক্তিৰ কাৰণে প্ৰাৰ্থনা কৰিলে।

এদিন সন্ধিয়া হজৰত মহম্মদ তেওঁৰ পত্নী ছফিয়াৰে সৈতে মছজিদৰপৰা ঘৰলৈ উভতিছিল। বাটত কেইজনমান মানুহে তেওঁক লগ পাই এজ্ঞাৰতে যথাৰীতি অভিবাদন জনালে আৰু হজৰতৰ লগত যোৱা মহিলাগৰাকীৰ ফালে লোচোৱাকৈ চাই গ'ল। খন্তেকতে হজৰতে তেওঁলোকক মাতি নিজে সস্ত্ৰীক তেওঁলোকৰ ওচৰলৈ গ'ল আৰু কলে—'এওঁ মোৰ পত্নী ছফিয়া।' মানুহকেইজনে তেওঁকো অভিবাদন জনাই কলে—'আমি অন্য একো ভবা নাছিলোঁ।' হজৰত মহম্মদে উত্তৰ দিলে—'বুজিছোঁ; তথাপি মনত ধাৰ নাথাকিলেও মনত বাধা থাকিব পাৰে বুলি ভাবিহে সেইটো পৰিষ্কাৰ কৰি দিলোঁ। কাৰণ চয়তানে লুকাই চুৰকৈহে মানুহৰ ধৰ্ম আৰু বিশ্বাসক আক্ৰমণ কৰে।' এনেকুৱা সৰু সৰু শিক্ষাপ্ৰদ ঘটনা হজৰত মহম্মদৰ কৰ্মবহুল জীৱনত অনেক পোৱা যায়।

হজৰত মহম্মদৰ জীৱন কৰ্ম-ময় জীৱন। উপদেশতকৈ সেই বাবেই আদৰ্শৰ আধিক্য তাত দেখিবলৈ পোৱা যায়। কোৰাণৰ বাণীয়েই তেওঁৰ

বাণী আৰু সেই বাণী তেওঁ লাভ কৰিছিল প্ৰত্যাদেশৰ জৰিয়তে। কৰ্ম-জীৱনত বন্ধুসকলক উপদেশ বা পৰামৰ্শ দিয়াৰ ছলেৰে তেওঁ যিবোৰ কথা কৈছিল সেইবোৰ অভিজ্ঞতাৰপৰা গোনে গোনে লাভ কৰা একো একোটি হীৰা-মুকুতাৰ দৰে। তাৰে মাত্ৰ সাতোটা উদাহৰণ নমুনা স্বৰূপে তলত দিয়া হ'ল। যেনে—

(১) পুণ্যশীলা পত্নী পুৰুষৰ অমূল্য ধন।

(২) সাংসাৰিক সম্পত্তিৰ প্ৰাচুৰ্য্যই ঐশ্বৰ্য্য নহয়; ঐশ্বৰ্য্য হৈছে মনৰ সন্তুষ্টি।

(৩) জ্ঞান অৰ্জন কৰিবা; জ্ঞানে বেহেস্তৰ পথত পোহৰ পেলায়।

(৪ কেৱল মুখেৰে নহয়, ভাবত আৰু কাৰ্য্যত সত্য-পৰায়ণ হবা।

(৫) প্ৰত্যেক শতাব্দীৰ আৰম্ভতেই মোৰ অনুগামীসকলৰ মাজৰপৰা এনে এজন পুৰুষ আল্লাই নিশ্চয় প্ৰেৰণ কৰিব যিজনে ধৰ্মক সঞ্জীৱনী শক্তি দান দিব।

(৬) ধৰ্মৰ ক্ষেত্ৰত বলপ্ৰয়োগৰ স্থান নাই।

(৭) মই মোৰ উপকাৰীৰহে উপকাৰ কৰিম, এনে কথা নকৰা; বৰঞ্চ কৰা—যদি অইনে মোৰ অপকাৰ কৰে মই তেওঁৰ উপ-কাৰহে কৰিম, অপকাৰ নকৰোঁ।

—x—

ডাকে বোলে—শুনা উপায়

অতুলচন্দ্ৰ বৰুৱা এম. এ

A treatise on the aphorisms of Dab Purusha, on agricultural topics, written by Shri Atul Chandra Barua, M.A., A.C.S. and published by Shri Sarat Chandra Hazarika, Mangaldai, Assam.

প্ৰথম তাঙৰণ ১৯৩৪
দ্বিতীয় তাঙৰণ ১৯৩৬
তৃতীয় তাঙৰণ ১৯৩৯
চতুৰ্থ তাঙৰণ ১৯৭২
পঞ্চম তাঙৰণ ১৯৮০
ষষ্ঠ তাঙৰণ ১৯৮৫
সপ্তম তাঙৰণ ১৯৯০

মূল্য—তিনি টকা

মুদ্ৰাকৰ
শ্ৰীৰাধাৰমণ ৰছাক
শ্ৰীকান্ত প্ৰেছ
৭১নং বৈঠকখানা ৰোড,
কলিকাতা-৯

উছৰ্গা

মোৰ প্ৰাতঃস্মৰনীয় শিক্ষাগুৰু—শ্ৰীযুত [illegible]

কৰ-কমলত

—

বাট-চ'ৰা

ডাকৰ বচন নুশুনা বা ডাকৰ বচন ব্যৱহাৰ নকৰা অসমীয়া লোক নাই। অসমীয়া মানুহৰ দৈনন্দিন জীৱনত এই বচনবোৰ পথ-প্ৰদৰ্শক কাৰ্য্য-বিধিৰূপে ব্যৱহাৰ হৈ আহিছে; এইবোৰ কিছুমান ফকৰা, যোজনা, পটন্তৰ আৰু প্ৰবাদ-বাক্যৰ সমষ্টি। ডেকা-বুঢ়া সকলোৰে মুখত ই সমানে শোভা পায়। মচলাযুক্ত ব্যঞ্জনৰ দৰে যোজনা-পটন্তৰ ব্যৱহাৰ কৰা কথাও বঞ্চিত হৈ পৰে। ডাকৰ বচনবোৰ ভোজন, ৰন্ধন, ৰাজনীতি, কৃষি, জ্যোতিষ, গৃহ-নিৰ্ম্মাণ আদি অনেক বিভাগত বিভক্ত। মুঠতে গাৰ্হস্থ্য জীৱনৰ এনে এটা পৰ্য্যায় নোলায় য'ত ডাকৰ বচনৰ প্ৰভাৱ নাই। বিশেষকৈ গঞা ৰাইজৰ কথা-বতৰাত এইবোৰ সততে আখৈ ফুটাদি ফুটে আৰু বিশেষ মন কৰিবলগীয়া কথা এই যে পুৰুষতকৈও নাৰীৰ সমাজতহে ইয়াৰ ব্যৱহাৰ অধিক প্ৰচুৰ।

ডাকৰ বচন কথাটোৱে সাধাৰণতে ডাক নামৰ কোনো এজন ব্যক্তি বিশেষৰ কথিত বচন বা বচনাৱলীৰ ইঙ্গিত দিয়ে। এই ডাক পুৰুষজননো কোন আছিল সেই বিষয়ে পোনতে কিঞ্চিৎ আলচ কৰা অপ্ৰাসঙ্গিক নহব।

সৰ্ব্বসাধাৰণৰ সাধাৰণ ধাৰণা এই যে ডাক নামৰ এজন মহাজ্ঞানী দূৰ-দৰ্শী পুৰুষ আছিল আৰু তাহানি বেদব্যাসে লাখি বেদ ৰচনা কৰাৰ দৰে তেওঁ প্ৰয়োজনমতে বচনবোৰ মুখে মুখে ৰচনা কৰিছিল। সেই দেখি সাধাৰণ অসমীয়া লোকৰ কাৰণে—'ডাকৰ' বচন বেদৰ বাণী।

ডাক নামানিব কোন অজ্ঞানী॥'

ডাক ক'ত উপজিছিল, তেওঁৰ পিতা-মাতা কোন আছিল, আতিকুলেই

বা কি আছিল আদি কথাৰ সন্তেদ আমি ডাকৰ বচনসমূহতে পাওঁ। বৰপেটাৰ দক্ষিণে প্ৰায় সাত মাইল দূৰত থকা আজিৰ লোহ গাঁৱৰ নাম তেতিয়া আছিল লেহিডঙৰা। এই লেহিডঙৰা গাঁৱতেই মহাজ্ঞানী ডাক পুৰুষৰ জন্ম হৈছিল।— 'লেহিডঙৰা ডাকৰ গাঁও ;

তিনিশ ষাঠীটা পুখুৰীৰ নাও।'

জাতত ডাক আছিল কুমাৰ কুলীয়া। প্ৰবাদমতে ৰজা বিক্ৰমাদিত্যৰ বিখ্যাত সভাপণ্ডিত, উজ্জয়িনী নগৰৰ প্ৰসিদ্ধ জ্যোতিষী মিহিৰ মুনি আছিল তেওঁৰ পিতৃ। কথিত আছে, মিহিৰ মুনিয়ে তীৰ্থ পৰ্য্যটন কৰিবলৈ আহি এবাৰ লেহিডঙৰাত আলহীৰূপে ৰৈছিল। যিঘৰ লোকৰ ঘৰত আলহী হৈছিল তেওঁলোকৰ সাতভাই। সেইদিনা দৈৱাৎ সতোটি ভাই দূৰৰ খেতি ৰখিবলৈ গৈছিল। তেওঁলোকৰ মাক আৰু ঘৈণীয়েকহঁত ঘৰত আছিল। শাহুৱেক থাকিলে অচিনাকি মানুহৰ আগত বোৱাৰীয়েক ওলোৱা নিয়ম নহয়। গতিকে বুঢ়ী শাহুৱেকে ওলাই আহি আলহী মিহিৰ মুনিৰ লগত এইদৰে কথোপকথন আৰম্ভ কৰিলে—

শাশুৰী বোলে অতিথি বাপা।
টঙি ৰখিবা গৈছে সাতোটি আপা ॥
ঘৰত নাই মুনিহ লোক।
কেনেকৈ বাপা সুধিম তোক ?

তাৰ উত্তৰত মুনিয়ে কলে—

নালাগে চাউল চৰু
নালাগে জুই ;
থোক এমুঠিকে দিয়া
তাতে থাকিম শুই।

তেতিয়া সৰুজনী বোৱাৰীয়েকলৈ লক্ষ্য কৰি বুঢ়ীয়ে কলে—

শাশুৰী বোলে সৰুজনী আই।
তোৰ লগত একো ছা-ছুঁলি নাই ॥
ঘৰৰ কামকে সাছে কৰা।
অতিথি বাপাৰ আল ধৰা ॥

বেটাৰ কপালে নাহিকে পো।
অতিথি পূজি পুত্ৰ কোলত লো।'

যেনে আদেশ তেনে কাম। বোৱাৰীয়েকেও [illegible] অতিথিভোজনত অতিথিৰ আলপৈচান ধৰিলে। তাতে তুষ্ট হৈ বামন সকলে অতিথিয়ে বৰ দি গ'ল—

তুষ্ট হইয়া মিহিৰে দিলা বৰ।
পুত্ৰ এক হব মোৰ সম সৰ ॥

কাৰ্য্যত সেয়ে হ'ল। যথা সময়ত বুঢ়ীৰ সৰু বোৱাৰীয়েকে এটি পুত্ৰ সন্তান প্ৰসৱ কৰিলে। সন্তানো অদ্ভুত সন্তান হ'ল। জন্মিয়েই সি আৰু উপদেশ দিব পৰা হ'ল। তাহানি শিশু কৃষ্ণই জন্মিয়েই পিতৃ-মাতৃক 'থৈয়ো নিয়া মোক গোকুলত সনুৰাই' বুলি উপদেশ দিয়াৰ দৰে তাৰ পুত্ৰকেও জন্মিয়েই উপদেশ দিবলৈ আৰম্ভ কৰিছিল। প্ৰসূতী-গৃহত জুই থাকে, ভুঁহৰ জুই। তাৰ ভূমিষ্ঠ হোৱাৰ পিছত প্ৰসূতী-ধৰীয়া এগৰাকী তিৰোতাই কেঁচুৱা সেকিবৰ বাবে ভুঁহৰ জুই ফুকাই জুই ধৰিবলৈ যত্ন কৰি জুই ছটাত ডাগৰি পৰিছিল। তাকে দেখি সদ্যজাত শিশু তাইক মাত লগালে— 'দীঘলকৈ দিবা ফুক; তেহে দেখিবা জুইৰ মুখ।' কেঁচুৱা কেনেকৈ সেকিব লাগে, কেনেকৈ নাড়ি-ছেদন কৰা উচিত ইত্যাদি কথাও কলে। ধৰীয়া-পৰীয়া, ওচৰচুবুৰীয়া সকলোৱে কাণ্ড দেখি তাজ্জব মানিলে। উপজিয়ে অন্য শিশুৰ দৰে কান্দি থকাৰ ধৈৰ্য্য হেৰুৱা দূৰৰ কথা এই অদ্ভুত বালকে মাক-বাপেক আদিক উপদেশহে দিবলৈ ধৰিলে। উপজিয়ে মাকক ডাক দি উপদেশ দিছিল বাবে শিশুৰ নাম ৰখা হ'ল ডাক।—

উপজিয়ে মাকক দিলে ডাক,
সেহিলে কাৰণে তাৰ নাম থৈলা ডাক।

দ্বিতীয় বাৰ মুনিয়ে কামাখ্যা দৰ্শন কৰিবলৈ আহি নিজ পুত্ৰৰ মুখ দৰ্শন কৰাৰ লোভ সামৰিব নোৱাৰিলে। এইবাৰ শিশু-ডাক আৰু পিতৃ-বৰাহমিহিৰৰ মাজত কি কথোপকথন আৰু তৰ্ক-বিতৰ্ক হৈছিল সি বৰ আকৰ্ষণীয়। সেই বাদ-বিবাদত পুত্ৰৰ হাতত পিতৃৰ পৰাজয় ঘটিছিল। বৰাহমিহিৰে উভতি কথা পুত্ৰকক দেখি জিনিব নাপাই অসন্তুষ্ট হৈ কৈছিল—

কোন হোৱে পিতা তোৰ কোন হোৱে আই।
স্বৰূপ কৰিয়া মোত কহ বুঝাই ॥—
তাৰ উত্তৰত—
ডাকে বোলে পিতা নকৰা চিন্তা।
কুমাৰণী আই মোৰ তুমি হোৱা পিতা ॥

তাতে ছল পাই মিহিৰে প্ৰস্তাৱ দিলে—'তোৰ মুখে জানো মোৰ পুত্ৰ তই।
মোৰ কান্ধে উঠি লৈ যাওঁ মই ॥'

শিশু জানো কম? বাপকা বেটা। সি উত্তৰত কলে—
'ডাকে বোলে পিতা স্বৰূপ কহা।
মই হওঁ গুচৰীয়া তুমি হোৱা ৰজা ॥
কলো মোৰ মাটিত
বগালে তোমাৰ তাঁতিত
মাটিৰ গিৰীয়ে পায় নে
তাঁতিৰ গিৰীয়ে পায়?
স্বৰূপ কৰিয়া কহা বুঝাই।'

মুনিয়ে ঘপৰাই উত্তৰ দিলে—'যাৰে মাটি হয় সেই গিৰীয়ে পায়:
মুনি বোলে জড়ৰ চেতনা নাই।' অৰ্থাৎ শস্যৰ কাৰণে মাটি আৰু সন্তানৰ কাৰণে মাক, একে বস্তু; সন্তানৰ মালিক মাকহে বাপেক নহয়। তাতে পৰাজয় মানি মিহিৰ মুনিয়ে কৈ গ'ল—
'মাতৃৰ লগত পুত্ৰ কৰিও বাস,
আজিৰ পৰা তোৰ এৰিলোঁ আশ।'

ডাকৰ মৃত্যু হয় পানীত। মোলান তুলিবলৈ লগৰীয়াৰ লগত গৈ ব পানীত ডুব দি মোলান তোলোতে মোলানৰ আলুত কেনেবাকৈ দীঘল চুলি জোঁট লাগি ধৰাত একেবাৰে নোৱাৰি হেনো পানীৰ তলতে ডাকৰ মৃত্যু হয়।

ডাকে বোলে ভয় নকৰিবা আই।
মই মোলান তোলো সত্তে থাকা চাই
ডাকৰ হাতে-কেলে লাগিলা জোঁক
উঠিব নোৱাৰি ডাকে কৰে চই-চই।

আৰু এটা প্ৰবাদ মতে ব্ৰহ্মপুত্ৰত গা ধুবলৈ গৈ শঙ্কৰৰ লগত তেওঁ বাজুবি-সাতুৰি ডুবিয়াই গা ধোওঁতে কোনোবা ঈৰ্ষাপৰায়ণ অসমীয়াই পানীৰ তলত হেঁচা মাৰি ধৰি থাকি ডাকৰ মৃত্যু ঘটায়। তেতিয়াৰেপৰা ডাক অদ্যাবধি ব্ৰহ্মপুত্ৰৰ বুকুত ডকা হৈ জীয়াই আছে বুলি প্ৰবাদ।

সি যিহওক, ডাকৰ যে অপঘাত মৃত্যু ঘটে সেইটো সম্পৰ্কে সকলো একমত। বচনত আছে—'ডাক মৰে আপোন বুদ্ধি

তেৰাজিত ইহা-জানি।'

জন্ম সম্পৰ্কে 'কুমাৰণী আই মোৰ তুমি হোৱা পিতা' বুলি ডাকৰ বচনত ডাকে নিজে কৈছে। পিছে অন্য এঠাইত 'উত্তম ব্ৰাহ্মণ ঘৰে জনম লভিলা বুলিও উল্লেখ আছে। বঙলা ভাষাত প্ৰচাৰিত ডাকৰ বচনত 'গোৱালৰ পুত্ৰ' বুলি উল্লেখ আছে। হব পাৰে 'গোপ শিশু সঙ্গে বুৰা কানাই-গোৱা-লাবে' ই শ্বৃতিব্যঞ্জক। সি যিহওক, এই কথা সৰ্ব্বজন বিদিত যে ডাকৰ কম বয়সতে মৃত্যু হৈছিল। ডাকে ভূত-ভৱিষ্যৎ সকলো কব পাৰিছিল, কিন্তু নিজৰ মৰণৰ কথাটো হলে নাজানিলে। সেই বাবেই আজিও লোকে কয়, বোলে,

'জনম, বিবাহ, গমন, মৰণ—
ডাক পুৰুষেও নহ'ল স্মৰণ।'

আৰু

জন্ম লগ্ন যাত্ৰা মোৰা।
বৰাহমিহিৰেও নাপালে ওৰা॥

এই প্ৰবাদ-প্ৰসিদ্ধ ডাক পুৰুষৰ জন্ম কেতিয়া হৈছিল সেইটোৰ আজিও স্থিৰ সিদ্ধান্ত হোৱা নাই। ডাকৰ বচন সমগ্ৰ পূৰ্ব্ব ভাৰত আৰু আনকি নেপালতো আছে। নেপালত ডাকাৰ্ণৱ নামৰ প্ৰাচীন পুথিও ওলাইছে। অসমীয়া বচনবোৰলৈ চাই আৰু ডাকৰ বচনৰ বহুল প্ৰচাৰলৈ লক্ষ্য কৰি ডাক-পুৰুষক জ্যোতিষী পণ্ডিত বৰাহমিহিৰৰ কালৰ বুলি ধৰা যায়। কোনোৱে হলে তন্ত্ৰ পণ্ডিতসকলৰ লগত পণ্ডিতৰ ভিতৰত তেওঁৰ জন্ম হৈছিল। অসমীয়া, বঙালী, বিহাৰী, উৰিয়া আৰু নেপালী—এই সকলোৱে তেওঁক নিজ নিজ দেশৰ পণ্ডিত বুলি দাবী কৰে। ডাকক বহু ভাষাত বহুদেশৰ লোকে চিনি পোৱা হৈছে। ডাক, অসমতে জন্মিল বা বঙ্গ, বিহাৰ নাইবা

মিথিলাতো ওপজিছে, ডাকৰ বচনৰ বহুল আৰু ব্যাপক প্ৰচাৰৰ পৰা কিন্তু এই সিদ্ধান্ত হয় যে একসময়ত বঙ্গ-বিহাৰ-মিথিলা-অসমৰ সংস্কৃতিগত আৰু ভাষাগত সমন্বয় ঘটিছিল।

বহুতে ডাকৰ নামৰ কোনো ব্যক্তিয়েই নাছিল বুলিও কব খোজে। তেওঁলোকৰ মতে বহুকালৰ সঞ্চিত জ্ঞান বহুলে কৰি অৰ্থপূৰ্ণ প্ৰবচনবোৰ কোনো এজনাকী লোকৰ নামত প্ৰচাৰ কৰি দিয়া হৈছিল আৰু তেৱেঁই আছিল ডাক। তেনেকৈ পূৰ্ব অতীতৰ মুনি বেদব্যাস, কবি কালিদাস আৰু আনকি মধ্য যুগৰ ভট্টাচাৰ্য্য শ্বেক্সপীয়েৰকো এক শ্ৰেণীৰ পণ্ডিতে বহু পৰিমাণে তৈয়াৰ কৰি উলিওৱা একো একোজনা মহান ব্যক্তি বুলিহে কব খোজে, অৰ্থাৎ সেই নামৰ কবি থাকিলেও তেওঁলোকৰ নামত প্ৰচাৰিত হোৱা সকলো ৰচনা তেওঁলোকৰ লেখনী-প্ৰসূত নহয়। পিছে, কথাতে কয় যোলে নাই বুলিলে সাপতো বিষ নাই, আৰু বিশ্বাসে মিলয় হৰি, তৰ্কে বহুদূৰ। 'বাংলাৰ লোকসাহিত্য' নামৰ বিখ্যাত গ্ৰন্থৰ প্ৰণেতা অধ্যাপক আশুতোষ ভট্টাচাৰ্য্যৰ মতেও 'ডাক' কোনো ব্যক্তিৰ নাম নহয়; এক শ্ৰেণীৰ বৌদ্ধ তান্ত্ৰিক সাধককে ডাক বোলা হৈছিল।'

ডাকৰ বচনবোৰ কথা-বতৰাৰ ভিতৰত থকা একো একোটি মুকুতাৰ দৰে। শব্দৰ মিতব্যয়িতা, ছন্দৰ স্বাভাৱিক মিল, যুক্তিৰ অখণ্ডনীয়তা আদিৰ কাৰণে এইবোৰ উজ্জল আৰু আকৰ্ষণীয় হৈ পৰিছে; যোজনা-ফকৰা-পটন্তৰ আদিৰ ৰূপ লৈ এইবোৰ সিঁচৰতি হৈ আছে।

সাধাৰণতে ফকৰা, যোজনা আৰু পটন্তৰ—এই তিনিওটা শব্দকে প্ৰায়ে একে অৰ্থত ব্যৱহাৰ কৰা হয়। হেমচন্দ্ৰ বৰুৱাৰ মতেও দৃষ্টান্ত, পটন্তৰ, উপমা, ফকৰা আৰু যোজনা সমাৰ্থক শব্দ। ভাবাৰ্থত তথাপি সেইবোৰৰ কেতিয়াবা কিঞ্চিৎ তাৰতম্য কৰা যায়। যোজনা মানে সংযোজন কৰা বা যোৰা দিয়া কাৰ্য্য। গতিকে ইটোৰ লগত সিটো মিলাই দি দৃষ্টান্ত দিলে [illegible]

[illegible]

অৰ্থাৎ ভেওঁ এনেই হলে খোৱাৰ নামকে চুজনে, অথচ খাবলৈ বহিলে পাটত ভাত এটাও নেৰে, বান্ধনীয়ে হেতা চুচি দিও অৱশ্নি নাপায়। এই-বোৰ যোজনা। আকৌ তেনেকৈ 'অবুজনক বুজোৱা, কেৰাৰ ঠাৰি পিজোৱা' এই একাষি প্ৰবচন। ইয়াত এটা কাৰ্য্যৰ লগত আনটোৰ পট বা প্ৰতি-মূৰ্ত্তি দাঙি ধৰি দৃষ্টান্ত দিয়া হৈছে। গতিকে ই পটন্তৰ। সেইদৰে,

'যাৰ হাত জালৰ তেৰ হাত কটা,
ভাল মাৰিলি বাপেৰ বেটা।
বৌ-বৰালি সবকি গ'ল,
পুঠি-খলিহনা পাহে পাহে ৰ'ল।'—

ইও এটা প্ৰবচন। এইটো ফকৰা। ইয়াত বাৰস্কন্ধ ভাগৱতৰ সাৰমৰ্ম লৈ প্ৰচাৰ কৰা ভাগৱতী ধৰ্মত কেনেকৈ ৰজা-জমিদাৰ আদি বৌ-বৰালিবোৰক বাদ দি সামান্ত লোককহে (পুঠি-খলিহনা) সামৰি লোৱা হৈছিল—তাৰ ইঙ্গিত দিয়া আছে। এনেকুৱাকৈ যোজনা, পটন্তৰ, ফকৰা আদিৰ পাৰ্থক্য উলিওৱা যায় যদিও ব্যৱহাৰত আটাইকেইটা কথা কিন্তু সমাৰ্থসূচক।

অসমীয়া প্ৰবচনবোৰৰ আটাইবোৰকে ডাকৰ বচনে সামৰি লোৱা নাই। বিশেষ কিছুমান বিষয় আৰু সানমিহলি কিছুমান কথাহে ডাকৰ বচনৰ অন্ত-ভূৰ্ক্ত বুলি ধৰি লোৱা হয়। কিছুমান ফকৰা ডাকৰ বচনৰ ভিতৰত পৰে নে নপৰে কোনেও ঠিবাংকৈ কব নোৱাৰে, অথচ সেইবোৰো ডাকৰ বচন বুলিয়ে পৰিগণিত, যেনে—

লগনী নহলে জুই নজ্বলে,
টুটকীয়া নহলে গাঁও নবহে।'

ইয়াৰ প্ৰথম কথাটো বুজাত সহজ, কাৰণ, জুই ধৰিবলৈ লগনী খৰি লাগে। কিন্তু 'টুটকীয়া নহলে গাঁও নবহে' কথা আবাৰ কিঞ্চিৎ গধুৰ। তাৰ অৰ্থ গাঁও এখন বৃদ্ধি পাবলৈ হলে টুটকীয়া লোকৰ প্ৰয়োজন। টুট-কীয়াই কথা কথালেহে 'মনোবাসিত হৈ পৰিয়ালবোৰ পৃথক হয় আৰু তেতিয়াহে গাঁওখন [illegible] বঢ়ে'। তেনেকৈ আকৌ 'শাঁয়ে, পিয়ে, নিয়ে [illegible] এই তিনিও [illegible] [illegible]।' [illegible] দি [illegible] [illegible] (কাণ, [illegible] বা [illegible]) আৰু দি কটিয়াই নিয়ে (আত্মগৃহ) [illegible] [illegible] [illegible] [illegible] [illegible] ভৰি গৰুৰ বাদ্যে [illegible]।

কালক্ৰমত জীৱন নিৰ্ব্বাহৰ উপায় আৰু অৱলম্বনৰ পৰিবৰ্ত্তন ঘটাত অতীত যুগৰ জীৱনৰ লগত থাপখোৱা বচন কিছুমানো আজিকালি অপ্ৰযোজ্য হৈ আহিছে। যেনে; 'ঘনে ঘনে জিৰাইবা পাও, যৈকে ইচ্ছা তৈকে যাও।' ইয়াকে কৰিবলৈ আলিৰ থৰা বা আলি-ভগাবোৰ মানুহৰ প্ৰয়োজনীয় সামগ্ৰী হৈ পৰিছিল। যান-বাহনৰ যুগত সি এতিয়া অচল। তেনেকৈ—'সৰু সৰুকৈ সাজিবা ঘৰ, যিমান ইচ্ছা সিমান কৰ।' এতিয়া তাৰ ঠাইত ক্ৰমে আকাশচুম্বী পকীঘৰ উঠিব লাগিছে। ভূমিৰ অভাৱ, জনবৃদ্ধি আদিয়ে তাৰ প্ৰধান কাৰণ।

ডাকৰ বচন কিন্তু আজিও বেদৰ বাণী হৈয়ে আছে এটি বিষয়ত—সেইয়ে হৈছে কৃষি। কৃষি কৰ্ম্মত অসমীয়া খেতিয়কে ডাকৰ বচন আখৰে আখৰে মানিবলৈ যত্ন কৰে। ডাকৰ বচনৰ কঠিন ফকৰাবোৰৰো অৰ্থ তেওঁলোকে সৰসৰকৈ কৈ দিব পাৰে। 'নালাগে তামোল লাগে, লাগে তামোল নালাগে'; নতুবা 'সাতত পাতল, পাঁচত ঘন; ছয়ত তামোল বৰন-বৰন'; নাইবা 'এক শাওণে ধান, তিনি শাওণে পাণ'; বা শীত সঁবিয়হ, মীত মাহ; শৰণত নাকাটিবা বাঁহ' এনেবোৰ ফকৰা চহৰীয়া জীৱনত কিঞ্চিৎ দুৰ্ব্বোধ্য যেন লাগিলেও গঞা খেতিয়কৰ বাবে এইবোৰ ভাত-মাছ।

ডাকৰ বচন বুলি জনা বচনসমূহৰপৰা উপৰোক্ত ধৰণৰ কৃষি সংক্ৰান্ত সুবচনবোৰ সংগ্ৰহ কৰি—হালৰ গৰুবেপৰা বতৰৰ মঙ্গলা চোৱালৈকে—আটাইখিনি বচন যথাসম্ভৱ আলচ কৰি এই পুথি যুগুত কৰা হৈছে। আৰু এটা কথা—বচনবোৰ কহিয়াই চাওঁতে বজিতা খুৱাবলৈ প্ৰসঙ্গক্ৰমে অ'ত ত'ত দুই একোটি আখ্যান, প্ৰবাদ আদিৰো অৱতাৰণা কৰা হৈছে, এইবোৰে আলোচ্য বিষয় আৰু আলোচনাৰ স্বাদ বঢ়াব, এয়ে আশা। ৰসগ্ৰাহী পাঠক আৰু কৃষক বন্ধুসকলৰ যৎকিঞ্চিৎ উপকাৰত আহিলেও আমাৰ পৰিশ্ৰম সাৰ্থক হোৱা বুলি ভাবিব পাৰিম।

পুথিখন যুগুত কৰোঁতে ডঃ মহেশ্বৰ নেওগে আৰু প্ৰকাশনত শ্ৰীশিৱনাৰায়ণ শাস্ত্ৰীদেৱে আৱশ্যকীয় দিহা-পৰামৰ্শেৰে সহায় কৰিছে। বেটুপাতৰ ছবি আঁকিছে স্নেহাস্পদ শ্ৰীমান শৰৎ বৰুৱাই আৰু তাকে উন্নত কৰিছে বন্ধুবৰ শ্ৰীপ্ৰবোধ সেনগুপ্তই। তেওঁলোক সকলোটিকে হিয়াভৰা শলাগ জনালোঁ। ইতি

নবগিৰি, গুৱাহাটী শ্ৰীঅতুলচন্দ্ৰ বৰুৱা

১৫ আষাঢ়, ১৯৬৬ চন

ডাকে বোলে—শুনা উপায়

বাণিজ্যৰ ফল কৃষিত পায়

চাণক্যৰ দৰে কোনোবা সংস্কৃত পণ্ডিতে কোন কাহানিবাই কৈ থৈছে বোলে,

> 'বাণিজ্যে বসতে লক্ষ্মীঃ।
> তদৰ্দ্ধং কৃষি কৰ্ম্মনি॥
> তদৰ্দ্ধং ৰাজসেৱায়াং।
> ভিক্ষায়াং নৈব নৈব চ॥'

অৰ্থাৎ বেহা-বেপাৰত লক্ষ্মী পূৰ্ণমাত্ৰাই বসতি কৰে। তাৰ আধা থাকে কৃষি-কৰ্ম্মত: তাৰো আধা থাকে ৰাজ-কৰ্ম্মত; কিন্তু ভিক্ষা বৃত্তিত হলে কদাচিত কেতিয়াও নাথাকে।—পিছে যিটোত মৰবল দি 'নৈব নৈব চ' বা কদাচিৎ কেতিয়াও নাথাকে বোলা হ'ল আমি হিন্দু আজি-কালি অন্ততঃ উমৈহতীয়া কামবোৰত তাৰ ওপৰতহে নিৰ্ভৰ কৰোঁহক। অৰ্থাৎ ভিক্ষা বা দান গ্ৰহণৰ জৰিয়তেহে আমি আজিকালি ডাঙৰ অনুষ্ঠানবোৰ প্ৰতিষ্ঠা কৰাৰ কথা ভাবিব পাৰোঁ। অৰ্থোপাৰ্জ্জনৰ ফালৰপৰ, চাকৰি বা ৰাজসেৱা ভিক্ষাতকৈ অলপহে ওপৰত; অৰ্থাৎ প্ৰকৃত চাকৰিয়ালৰ অৱস্থা 'দিন ভিক্ষা প্ৰাণ ৰক্ষা'তকৈ কিঞ্চিৎ মাত্ৰ ওপৰত। সেই যুগত পণ্ডিত-সকলৰ মতে কৃষি বা খেতি বিষয়টোক বাণিজ্যৰ আধা বুলিয়ে ধৰা হৈছিল।

অসমীয়া মানুহে কিন্তু বাণিজ্যৰ সিমান ভু-ভটং নাপায়। 'পান্তে জুপা, পেটে উৱাল' অসমীয়া মানুহৰ মাজত সেইবাবেই এজনো উল্লেখযোগ্য ব্যৱসায়ী লোক নাই বা নাছিল বুলিব পাৰি। দুই এজন আছিল যেন লাগিলেও তেওঁলোক আছিল নাইকিয়া ঠাইৰ 'ৰবগছ' গছ নথকা দেশত বোলে 'এৰাই ৰবগছ' আৰু ভোট-এৰাই পাব কাঠ' হৈ

'যিদেশত এজোপাও বৰগছ নাই;
এৰা গছে সিদেশত বৃক্ষ নাম পায়।'

'সদাগৰে লক্ষ্মীক বান্ধিছে' বোলা কথা আবাৰ অসমীয়া লোকেও মানে। কিন্তু অসমীয়া সদাগৰ নো কোন আৰু অসমীয়াৰ বাণিজ্য নো কি? বণিক চান্দো সদাগৰ নতুবা ব্যৱসায়ী ভোলানাথ বৰুৱাই হ'ল অসমৰ মূধা-কুটা সাউদ আৰু স'ৰ বস্তু ত'ত বেচি পেটে-ভাতে খাই থকাটোৱেই হ'ল সাধাৰণ অসমীয়া লোকৰ বেহা-বেপাৰ। জামছেদজী টাটা বা হেন্‌ৰি ফৰ্ড হবলৈ কোনেও অভিলাষ নকৰে। বৰঞ্চ 'আদা-বেপাৰীৰ কি জাহাজৰ খবৰ' বুলি কাৰোবাৰ কিবা অভিলাষ জন্মিলেও তাক দমাই থোৱা হয়। সেইবাবেই ডাকৰ যুগৰপৰাই কৃষি-সম্বন্ধে সকল অসমীয়া লোকৰ ধাৰণা আছিল—'বাণিজ্যে বসতে লক্ষ্মীঃ, তদৰ্দ্ধং কৃষিকৰ্মণি'—নহয়, কিন্তু—

ডাকে বোলে বাপু শুনা উপায়;
বাণিজ্যৰ ফল কৃষিত পায়।
বিজনে সদায় কৃষিক কৰে,
সমস্ত সম্পদ পাইব ঘৰে।
সোণ-ৰূপাই কি কাজ কৰে;
ভাত নাখালে ভোকতে মৰে।'

আজিও অসমীয়া লোকৰ ধাৰণা—'যাৰ নাই ধান, তাৰ নাই মান' আৰু 'যাৰ নাই গৰু, সি সবাতকৈ সৰু'; কাৰণ—

'নাঙল-বলধত সবাৰে আশ;
যাৰ নাই তাৰ সকলো নাশ।'

অসমীয়া মানুহ ভতুৱা; ভাতৰ ওপৰতে নিৰ্ভৰ কৰি জীয়াই থাকে। কথাতে কয় বোলে—

'অকৰাই-পইতাই দুসাজ খাবা;
নকৰে-ধৰে দুহাল বাবা।'

খোৱাতো ফল-মূল, শাক-পাচলি, তৰি-তৰকাৰি আদি যিবোৰ বস্তু ভাৰতীয় লোকে যি পৰিমাণে খায় বা খাবলৈ ভাল পায়, অসমীয়াই সিমান নাখায় বা খাবলৈ ভাল নাপায়। অসমীয়াৰ মতে 'শাকে-পাচলিয়ে ভাই ভকত, সেই পুৰুষৰ লক্ষণ।' তাতে যদি লোণ-তেলেৰে হলেও

অসমীয়াৰ হয়। সেই হেতুকে ধানৰ খেতিয়েই অসমীয়াৰ মাই খেতি। সেই খেতি-খোলা সম্পৰ্কে বুঢ়া-বুঢ়ীৰ দিনৰপৰা অসমীয়া মানুহে বিবোৰ উক্তিৰ ওপৰত যুক্তি থাপি আহিছে, আজিৰ বৈজ্ঞানিক যুগতো সেইবোৰৰ হেৰ-ফেৰ বা হৰণ-ভগন হোৱা নাই। সেইবোৰৰ সহায়ত ধানৰ বিষয়েই জয়জয়তে আলচ কৰা যাওক।

ধন, ধান, পাণ—
এই তিনিয়ে ৰাখে মান।

ধনৰ আৱশ্যকতা কাকো নতুনকৈ বুজাব নালাগে। কোনোমতে মাত ফুটা কেঁচুৱাটোৱেও সিকি, আধলি বা টকাৰ মুদ্ৰাটোলৈ হাত মেলে। অৱশ্যে কিয় মেলে কবে কোৱা টান। গাঁৱত এটা কথা আছে বোলে ধন থাকিলে ৰজাৰ ৰাণীকো বান্দী ৰাব পাৰি। তাৰ সাধাৰণ অৰ্থ, ধনৰ দ্বাৰা সকলোকে বশ কৰা যায়। সেই কাৰণে মহাভাৰতত ভীষ্ম পিতামহে ধৰ্ম্মৰাজ যুধিষ্ঠিৰক উপদেশ দি কৈছিল—'অৰ্থৰ দাস সকলো; কিন্তু অৰ্থ কাৰো দাস নহয়। মোৰ কথাটোলৈকে চোৱাঁ। মই আজি অৰ্থৰ বাবেই ৰজা দুৰ্য্যোধনৰ ৰাজসভাত থাকি অন্যায় অকৰ্মবোৰো চকুৰে চাই থাকিবলগীয়াত পৰিছোঁ।' সেইবাবেই কোৱা হয়—

'ধনেই ধৰ্ম্মৰ মূল,
ধন নাথাকিলে যায় জাতকুল।'

সংস্কৃত পণ্ডিতেও কয় 'ধনাৎ ধৰ্ম্মঃ ততঃ সুখম্।'

যাৰ মহিমা অপাৰ তাৰ নামো অসংখ্য। ভগৱানৰ নামেই তাৰ প্ৰমাণ। ধনৰো বিবিধ ক্ষেত্ৰত বিভিন্ন নাম। সাধাৰণতে তাক ধন, অৰ্থ, টকা, মুদ্ৰা, পইচা আদি নামত জনা যায়। সেয়ে চাকৰিয়ালৰ ক্ষেত্ৰত বেতন বা দৰমহা, ব্যৱসায়ীৰ 'কমিচন', ডাক্তৰৰ 'ভিজিট', মৌজাদাৰৰ খাজনা, গুৰুৰ কৰ বা প্ৰণামী, বিয়াৰ যৌতুক, ধাৰে দিয়া টকাৰ সুত বা মূল, জমিদাৰৰ সেলামী বা নজৰ বা মুখচাৱী, তীৰ্থৰ দৰ্শনী, ৰেল-জাহাজ আদিৰ ভাড়া, হাজৰ মাচুল, পুৰোহিতৰ দক্ষিণা, দৰিদ্ৰ-ভিখাৰীৰ ভিক্ষা আৰু উন্নত ধৰণৰ ভিক্ষাৰীৰ ক্ষেত্ৰত সাহায্য বা দান নাম পায়। তেনে আৰু অনেক নাম আছে। এইবোৰে ধনৰ মহিমাৰে আভাস দিয়ে।

পাণৰ প্ৰয়োজনীয়তাও অসমীয়া লোকৰ কোনো ক্ষেত্ৰতে কম নহয়। অসমীয়া মানুহে আলহী আহিলে গোনেই তামোল-পাণৰ বটাখন যাচে। পূজা-সেৱাতো আগ-গোৰ কটা তামোল-পাণ আগ বঢ়াই দিহে দেৱদেৱীক আহ্বান জনোৱা হয়। পূজাৰ পূৰ্ব্বে বামুণক পুৰোহিতৰ পদত গিৰিহঁতৰ প্ৰতিনিধিৰূপে বৰণ কৰি লওতেও তামোল-পাণ আগবঢ়োৱা নিয়ম। হিন্দুৰ বিয়াতো পাণ-গছকি বিধিমতে সপ্তপদী অনুষ্ঠান সমাপন কৰিলেহে বিয়া সম্পূৰ্ণ হয়। আকৌ বিবাহিতা পত্নীক লোকাচাৰ মতে ত্যাগ কৰিবলৈ হলেও পাণ-ছিৰি এৰি দিব লাগে।

দেৱ-কাৰ্য্যত দিওঁতে পাণৰ আগ-গুৰি কাটিহে দিয়া হয়। মানুহে সচৰাচৰ তামোলৰ লগত খাওঁতেও তাৰ আগ-গুৰি কাটি খাবিবোৰ চাঁচি পেলাইহে খায়। কিয় তেনেকৈ খোৱা হয়? তাৰো গুৰি শিপা আছে আয়ুৰ্ব্বেদ শাস্ত্ৰত। আয়ুৰ্ব্বেদমতে পাণৰ আগ খালে মানুহ ব্যাধিগ্ৰস্ত হয়; গুৰিডোখৰ খালে দৰিদ্ৰ হয়; সেৰেলা বা আধা-শুকোৱা পাণ খালে মানুহৰ আয়ু ক্ষয় হয় আৰু তাৰ শিৰবোৰ খালে বুদ্ধি নাশ হয়।

'পৰ্ণাগ্ৰে জায়তে ব্যাধিঃ
পৰ্ণমূলে দৰিদ্ৰতা,
জীৰ্ণপৰ্ণে হৰেদায়ুঃ
শিৰো বুদ্ধিবিনাশনঃ'

এইদৰে দেখা যায় পাণৰ ব্যৱহাৰৰ লগত অসমীয়া সমাজ আৰু অসমীয়া আচাৰ-ব্যৱহাৰৰ ওতপ্ৰোত সম্বন্ধ।

বাকী থাকিল এতিয়া ধান। যদিও 'ধন, ধান, প্ৰাণ—এই তিনিয়ে ৰাখে মান'—বুলি কওঁতে গোনতে ধনৰ কথাকেই উল্লেখ কৰা হয়, তথাপি ধানৰ প্ৰাধান্যও স্বীকাৰ নকৰি নোৱাৰি। সেইকাৰণেই কোৱা হয়—'ধান আছে যাৰ; মান আছে তাৰ'; "লিখী কৰে ধানে, [illegible] মানে, লিখী কৰে পাণে", ইত্যাদি। আকৌ [illegible] ভাত খাবলৈ তোঁকতে মৰে'—[illegible] সেই-দৰে ডাকৰ বচনো—

[illegible]
থাক্ত নহলে তেখনে মৰণ।

এতেকে কৃষিক কৰিবা সাৰ,
কৃষিতে ছুৰ্ভিক্ষে হবা নিস্তাৰ।

আগৰ দিনত অসমীয়া সমাজত চহকী আৰু সন্মানী মানুহ কোনজন —তাকে বিচাৰ কৰিবলৈ কিছুমান নিৰ্দিষ্ট সূত্ৰ, সংজ্ঞা বা মানদণ্ড আছিল; যেনে, পথাৰত বোৱা হালৰ সংখ্যা, হাতী, ঘোঁৰা আৰু গৰুৰ সংখ্যা, ধানৰ ভঁৰালৰ সংখ্যা, বন্ধা-ভেবোণীয়া আদিৰ সংখ্যা ইত্যাদি। হাতী-ঘোঁৰাৰ ঠাঁই আজি-কালি মটৰ-গাৰীয়ে ললে; ধানৰ ভঁৰালৰ ঠাই পকীঘৰে লৈছে। একাধিক ধানৰ ভঁৰাল বান্ধি তাত ধান সাঁচি থলে আজিকালি বিপদহে আছে: গিৰিহঁতৰ লটি-ঘটি আৰু সঞ্চিত ধান বাজেয়াপ্ত হোৱাৰো আশঙ্কা। গতিকে সেই সূত্ৰ আজিকালি ৰৰকৈ নাখাটে। তথাপি নিজৰ ভঁৰালৰ পুৰণি লাহী ধানৰ চাউল ওৰে বছৰে খাই থকাসকলক আজি-কালিও গঞাসমাজে চহকী বা মানী লোক বুলি গণ্য কৰে।

আজিকালি জল-সিঞ্চনৰ অনেক বৈজ্ঞানিক প্ৰণালী ওলাইছে। ডোং খান্দি পানী আনি নাইবা অন্য উপায়ে সিঁচি শস্যৰ মাজলৈ নি পানী বান্ধি ৰখা নিয়ম আগৰ দিনতো আছিল; এতিয়াও আছে। ধানৰ খেতিৰ উৎপন্ন বঢ়াবলৈ আগৰ দিনতো মানুহে কম যত্ন কৰা নাছিল। জল-সিঞ্চন ব জল ৰক্ষণৰ প্ৰণালীত কোৱা আছে—

আহিন কাতিত ৰাখিবা পানীক,
যেনেকৈ ৰাখে ৰজাই ৰাণীক।
আলিৰ ওপৰে দিবা আলি;
খেতি হ'ব বুলি জানিবা তালি।

আলিৰ ওপৰে দিবা আলি;
খেতি নহলে ডাকক পাৰিবা গালি॥

অসমৰ ধান খেতি আহুকৈ বৰষুণৰ ওপৰতে নিৰ্ভৰ কৰে। পানী বান্ধি ৰাখিবৰ কাৰণে ঘন ঘনকৈ আলি দিব লাগে। ঘন ঘনকৈ আলি দিয়াৰ উপকাৰিতা আৰু অনেক ডাকৰ বচনত আছে, যেনে—

ঘন ঘনকৈ দিবা আলি
পৰ্বতো ভাঙ্গি ...।

নতুবা

ধন ধনকৈ দিবা আলি,
তেহে খাবা নানান শালি।

ইয়াৰ যতনেৰে পানী ৰাখি খেতি কৰি থাকোঁতেও কেতিয়াবা অতি-বৃষ্টিৰ ফলত নৈত বানপানী আহিলে সেই পানীয়ে হ'বাৰ একাকাৰ কৰি খেতিৰ বিস্তৰ অনিষ্ট সাধন কৰে। বানে মাৰা ধানৰ অৱস্থা তেতিয়া বৰ শোচনীয় হয়। ঘৰুৱা বচন এফাকিত তাকে উপমাৰ চলেৰে বৰ্ণোৱা হয়—'বাহঁ মৰা ভিনিসি, বানে মাৰা কিৰিধি' বুলি। বানপানীক অসমীয়া খেতিয়কে ভালো পায়, ভয়ো কৰে। অলপীয়া বানপানীত খেতি ভাল হয়, মাটিত পলস পৰে। ডাঙৰ বানপানীয়ে গাঁও-ভূঁই উটাই নিয়ে, আৰু খেতি [illegible] নষ্ট কৰে। তাকে বুঢ়া লোকে কয়—

ক্ষাৰ ৰস পায় যদি কৰ জানে,
কৃষিৰ ৰস পায় যদি নামাৰে বানে;
ভোজনৰ ৰস পায় যদি পৰশে আই,
নদীৰ ৰস পায় যদি আনে নিয়ে যাই।

সেই [illegible] ৰতে আকৌ কি কি বস্তু পৰিহাৰৰ যোগ্য তাৰে এটা তিচাপ দি কোৱা হয়—

পৰিহৰা গুৰু কৰে কপ-জুল,
পৰিহৰা নৃপতি যাৰ নাই গুণ;
পৰিহৰা কিৰিধি নৈ-নলাৰ পাৰে,
পৰিহৰা নাৰী যিটো ৰতিক বৰ্ণাৰে।

কি ধানৰ বাবে মাটিত কিমান পানীৰ প্ৰয়োজন, কিমান পানী থাকিলে ধান কিমান পাতলকৈ কৰ লাগে, কি ধানৰ গোছ কিমান আঁতৰে আঁতৰে দিব লাগে—ইত্যাদি বিষয়ৰো নিৰ্দেশ এইবোৰে দিয়া আছে—

আহু কৰা খোজত বুধি,
শালি কৰা লোকৰ বুধি,
[illegible]
[illegible]

যেৰে যেথা নহয় শালি,
তেৰে পাবিবা ডাকৰ গালি।

অৰ্থাৎ আহুধান কৰলৈ পথাৰত বেছি পানীৰ আৱশ্যক নহয়, কোনো-মতে খোজটো বুৰ গলেই হয়। শালি ধানৰ কাৰণে তাতকৈ বেছি পানী লাগে। আঠুৱনীয়া পানীত হাতেক দূৰে দূৰে গোছ দিব লাগে।

ধান আৰু পাণ যাইকৈ বাৰিষাৰ খেতি; অৰ্থাৎ দুয়োবিধ শস্য বাৰিষা কৰ লাগে। ধানৰ ফচল বছৰটোৰ ভিতৰতে উঠে আৰু কেতিয়াবা একে ডৰা ঠাইতে দুটাকৈও ধানৰ খেতি এবছৰৰ ভিতৰতে হয়। পাণ ছিঙিব পৰা হলৈ কিন্তু কম পক্ষেও তিনি বছৰ লাগে; অৰ্থাৎ তিনি বছৰ হলেহে পাণ তালকৈ ছিঙিব পৰা হয়। তাকে ডাকৰ বচনত কোৱা হয়—

এক শাওণে ধান,
তিনি শাওণে পাণ।

ধান খাদ্য বস্তু; ভোজনৰ মুখ্য সামগ্ৰী। সেইবুলি কিন্তু ধানৰ খেতি কৰি অসমীয়া মানুহে কেৱল যে ফচলটোৰ কাৰণেহে বাট চাই থাকিছিল এনে নহয়; ধানৰ পথাৰৰ মনোহৰ দৃশ্য উপভোগ কৰিবলৈও পাহৰা নাছিল। অন্য কথাত কবলৈ গলে সৌন্দৰ্য্য-জ্ঞান আৰু ৰসোপলব্ধিও অসমীয়া খেতি-য়কৰ অন্তৰত বাককৈয়ে আছিল। সেই দেখিহে তেওঁক সেই সৌন্দৰ্য্য উপভোগত সহায় কৰিবলৈ কোৱা হৈছিল—

আহু চাবি গধূলি, শালি চাবি পুৱা;
আকৈ বাওতে ছোৱালী চাবি কোন কেনেকুৱা।

ইয়াকো অসমীয়া খেতিয়কৰ সৌন্দৰ্য্য উপলব্ধিৰ অভিজ্ঞতালব্ধ জ্ঞান বুলিব পাৰি। ডাকৰ বচনবোৰত আকৌ সৌন্দৰ্য্যৰ, বিশেষকৈ নাৰী-সৌন্দৰ্য্যৰ তাৎপৰ্য্যপূৰ্ণ উজ্জল বাণিচন্দা অ'ত-ত'ত অনেক পোৱা যায়।

কৃষকৰ বেছিভাগ কাজিয়া হয় গৰু আৰু গো-বাটৰ কাৰণে। খেতিৰ মাজেদি বাট লৈ খেতি নষ্ট কৰিলে খেতিয়কে কাজিয়া কৰি প্ৰাণ এৰিব পাৰে। বুঢ়া লোকে কয়—

গৰু নষ্ট হয় পৰৰ [illegible],
খেতি নষ্ট হয় [illegible]।

অৱশ্যে তাৰ মাজতো কিন্তু হাতে গজৰ ঠাই নোহোৱা নহয়, যেনে 'মিলিৰ জানিলে পকা ধানৰ মাজেদিও বাট পোৱা যায়' বা তাৰেবে ধৰিলে পকা ধানেও বাট দিয়ে' বোলা বচনবো প্ৰচলন আছে। পকা ধানৰ মাজেৰে বাট হলে ধান নষ্ট হোৱাৰ দৰে, অইন অইন কিছুমান ভাল বস্তুও ব্যৱহাৰৰ দোষত নষ্ট হয়, যেনে—

ভাল কৃষি নষ্ট হয় মাজে লগে বাট;
ভাল নাৰী নষ্ট হয় নিতৌ বেহালে হাট।
ভাল কপোৰ নষ্ট হয় নিতৌ উৰিলে জাপত;
ভাল ল'ৰা নষ্ট হয় কথা ক্ৰুস্থি- বাপত।

খেতিৰ মাটি আৰু বিয়াৰ কইনা নিৰ্ব্বাচন কৰোঁতে কি কি বিষয়ত বেচি ... লাগে সেই বিষয়ে কোৱা হয় -

মাটি কিনিবা মাজ থাল;
ছোৱালী আনিবা মাক ভাল।

... পুৱাৰ ৰ'দ আবেলিৰ কিঞ্চিৎ ছাঁ পৰিলে তাৰ চেহেৰা বৰ ... —

পুবে বেণু, পশ্চিমে ছায়া;
সেই শস্যৰ অমৰ কায়া।

এই 'অমৰ কায়া' কথাটোক বহুতে 'ভ্ৰমৰ-কায়া' বুলিও কয়। কাৰণ তেনে ঠাইৰ ধান গছ ভোমোৰাৰ পাখিৰ দৰে কিচ্‌কিচীয়া ক'লা হয়।

সকলো ধান সকলো ঠাইৰ উপযোগী নহয়। আহী ধানত কম পানী আৰু বাও আৰু বৰ ধানত বেছি পানী লাগে। আহু ধানৰ কাৰণে লাহী ধানতকৈও কম পানীৰ প্ৰয়োজন। যেতিয়াকৈ সেইমতে মাটি চাই হে খেতি কৰে।

বাও ধানৰ খেতি দ মাটিত হয়। কিছুমান বাও ধান পথাৰত পানী বঢ়াৰ লগে লগে বাঢ়ি আছে। পানীত তল গলেও কিছুমান বাওধান আকৌ অনেক দিনলৈ নমৰে; পানী শুকালেই পুনঃ ঠন ধৰি উঠে। কেকোৱা বাও তেনেকুৱা এবিধ দ-মাটিত হোৱা ধান। সেই ধান পানীত তল গলেও সহজে নমৰে। সেই ধান সম্পৰ্কে এটা গল্প আছে। ধানৰ গিৰিহঁতে এবাৰ বানপানীয়ে ধানবোৰ তল কৰা দেখি নাৰত উঠি খেতি

চাবলৈ গৈ খেতিৰ অৱস্থা দেখি কান্দি কান্দি ফুৰিছিল। তাকে দেখি পানীৰ তলত থকা কেকোৰাই ধানৰ অন্তৰ পমি গ'ল। পানীৰ তলৰ পৰাই সি খেনো কৰলৈ ধৰিলে যে গিৰিহঁতে তেনেকৈ খেদ কৰাৰ কোনো কাৰণ নাই; বানপানী সদায় নাথাকে, সি এদিন শুকাবই। বানপানী শুকোৱাৰ লগে লগে কেকোৰাই আকৌ মূৰ দাঙি উঠি গা টঙাব আৰু যথাসময়ত গিৰিহঁতক প্ৰচুৰ ফচলেৰে চঙকা কৰিব। তাকে বচনত এইদৰে কোৱা হয়—

পানীৰ তলৰ কেকোৰ সোণা;
কান্দৈ যাৱ তই গিৰিহঁত কণা?
ধাৰে ধুপৰে খাই থাক তই,
তোকে মৰাণতে তুলি ধৰিম মই।

আঢ্যৱন্ত কৃষকে অন্ততঃ এবছৰৰ ধান হাতত ৰাখি তাৰ আগৰ পুৰণি ধান খায়। ভৰালত নতুন ধান যিমান থাকে পুৰণিও অন্ততঃ সিমান থাকিব লাগে। পুহ মাহত আহুধান আৰু জেঠ মাহত শালি খাব নোৱাৰিলে তাক ভাল কৃষক বুলি গণ্য কৰাই নহয়!

পুহত আহু জেঠত শালি,
তেবেসে জানিবা গৃহস্থালী।

ওপৰে যিমান, তলে সিমান, তাকে বোলে ছিৰী
ন সাঁচি পুৰণি খায়, তাকে বোলে গিৰী।

আহুধান কেতিয়াবা বানপানীৰ বুকুত যায়; গতিকে তাৰ ওপৰত বৰকৈ নিৰ্ভৰ কৰা টান। সেই দেখি কোৱা হয়—"আহুই পহুই সমান।" ধান সম্পৰ্কে আৰু অনেক বচন মানুহৰ মুখে মুখে চলি আছে; যেনে—

ষোল চাহে মূলা, তাৰ অৰ্দ্ধেক তুলা,
তাৰ অৰ্দ্ধেক ধান, বিনা চাহে পান।

•

জাত চাই পাত, বিধান চাই ভাত।

•

যমমুখী আহু, জলমুখী শাঁহু।

* *

খেতি কৰে বাতিৰ পৰা।
ভাতে নাটে কাতিৰ পৰা।

* *

শাওণৰ ধান বাৰণেও খাই অন্ত কৰিব নোৱাৰে।

* *

কঠীয়াহে চুটি, জেঠতে পাৰা।

* *

চহ চিকন পৰৰ, পো চিকন ঘৰৰ।
ভাতত হীন, মাতত হীন;
তাক দেখি লাগে ঘিণ।

* *

ভাল আছিলোঁ খুজি খাই,
বেচা গলোঁ সাত হাল বাই।

* *

হাল মৰকীয়া, ফাল মৰকীয়া, গৰু মৰকীয়া পৰৰ;
বুঢ়া নাঙলখন খুজি আনিছোঁ, ডলিবাবীটো মাত্ৰ ঘৰৰ।

* *

শাওণৰ কঠীয়া নহয় ধান;
আহিনৰ গোছ বিফল জান।

* *

লেৱাই বোলে লোণমতী,
আমাৰ বা কি গতি?

* *

যেৰে জেঠ গৈলা বিনা নাঙলে;
কিবিধি কৰিবা কাহাৰ বলে?

* *

ৰাম নাই ধন
বুঢ়া গৰু কিন।

•　　　　•

বুঢ়াই-ডেকাই দুহাল বাবা,
জপতে পইতাই দুসাজ খাবা।

•　　　　•

বাবটা কঠীয়া তেৰজনী বোৱনী,
হওক বা নহওক তেও, পথাৰখন ভৰনী।
সুমলীয়া ধান বানৰ,
সুমলীয়া ছলি আনব।

•　　　　•

গাঁৱৰ বলদ, ওচৰৰ ভুঁই ;
তাক নাছাবে জানন্তা দুই।

•　　　　•

কৃষি কৰিবা ওচৰ ভাগে ;
ডাকে বোলে মোৰ মনত লাগে।
আধিয়া খেতি মৰকীয়া হাল,
কৰাতকৈ খেতি নকৰাই ভাল।

•　　　　•

তেবেসে ধনী যদি বথানে আনে ;
তেবেসে গৃহী যদি আটি থায় ধানে।

•　　　　•

ৰাম-কৃষ্ণ বাণী ;
পকা ধানৰ আগ তল গ'ল
শুকিয়ে নাপালে পানী। (ভকতীয়া ধৰণৰ বচন। অৰ্থ—নিয়মত পকা ধানৰ আগ তিতে, কিন্তু শুকিলে হলে নিৰৰ নপৰে।)

•　　　　•

ধান পকে মাঘে টুনীৰ মুৰৰ

•　　　　•

হালোৱাৰ লচ্-পচ্ জৈত নহে শক ;
গিৰিণীৰ লচ্-পচ্ ঘৰ নহো শক। ইত্যাদি

তিনিশ বাঠি জোপা কৰা কল

ফলভৰা বাৰী আৰু পুত্ৰৱতী নাৰী—বহুত সাধনাৰ ফলতহে পোৱা যায় বুলি অসমীয়া লোকৰ ধাৰণা। ভাল খেতিয়কৰ বাৰীখন নানা প্ৰকাৰ শহ আৰু ফল-মূলেৰে ভৰি থাকে। সেইবোৰ উচিত দামত বিক্ৰী কৰি থাকিব পাৰিলে বেহা-বেপাৰৰ বাবে দূৰলৈ যোৱাৰ প্ৰয়োজন নাই। ফল মূলৰ ভিতৰতো আকৌ কল সৰ্ব্বশ্ৰেষ্ঠ। সেইবাবে কল অসমীয়াৰ মানত ফলৰ ৰজা। কথাতে কয় বোলে—

সুফল কদলী,
সুতিৰী ফেদেলী;
সুজল বৰিষণ,
সুকৰম কিৰিষণ;
সুপুৰুষ ৰামা,
সুতিৰী শ্যামা।

এই 'সুকৰম কিৰিষণ' বুলি উপলব্ধি কৰিয়ে আগৰ দিনত ৰজা মহাৰজাসকলৰো অনেকে কৃষিত মন দি হলকৰ্ষণাদি কাম নিজে কৰিছিল আৰু অৰণ্যবাসী ঋষি-মুনিসকলেও আশ্ৰমত ফল-মূলৰ খেতি পাতিছিল। পূৰ্ব্বে মিথিলাৰ ৰজা ৰাজৰ্ষি জনকে যজ্ঞভূমি চাহি কৰোঁতে কেনেকৈ সীতা-দেৱীক নাঙলৰ সীৰলু বা লোৰত লাভ কৰিছিল—সেই কথা অসমীয়া লোকমাত্ৰেই জানে। জনক ৰজাৰ জীয়াৰী বাবে জানকী আৰু নাঙলৰ সীৰলুত পোৱা হৈছিল কাৰণেই তেওঁৰ নাম আছিল—সীতা। এইদৰে কৃষিয়েই ভাৰতীয় সভ্যতাৰ ভেটি বুলি যুগ যুগ ধৰি স্বীকৃত হৈ আহিছে। কৃষিৰ ভিতৰতো ধানৰ পিছতেই বাৰীৰ কল, আমোল আদি গোনতেই ধৰা পৰে।

অসমীয়া ল'ৰা-ছোৱালীৰ [illegible] [illegible]। গাঁৱত পকা তীৰ-কল চাচি [illegible] অকলে [illegible] বা [illegible] [illegible] লগত খাদি

কেঁচুৱাক খুওৱা হয়। ই দুগ্ধপোষ্য শিশুৰ বাবে পৰম হিতকৰ খাদ্য। মুঠতে অসমীয়া মানুহ সকলে কল খাই ভাওৰ হয়। সেই বাবেই 'কল-খোৱা ধাতু' বাহিৰ কৰিব খোজাটো অসমীয়াৰ কাৰণে ডাঙৰ ভীতি-প্ৰদৰ্শন বা গালি।

আগৰ দিনত লঙ্কাক স্বৰ্ণলঙ্কা বোলা হৈছিল আৰু তালৈ বণিজ কৰিবলৈ গলে সদাগৰসকলে তাৰপৰা নাও ভৰাই ধন-সোণ আদি আনিব পাৰিছিল বুলি আজিও জন-প্ৰবাদ আছে। পুৰণি কামৰূপৰ বণিক-শ্ৰেষ্ঠ চান্দো সদাগৰেও এসময়ত 'চৈধ্য ডিঙা' লৈ এই স্বৰ্ণলঙ্কালৈ বাণিজ্যৰ কাৰণে গৈছিল। মুঠ কথা—লঙ্কাত বণিজ কৰাৰ নিচিনা লাভজনক কাম একো নাছিল। সেই কথা ডাকৰ যুগতো চলি আছিল। সেই কাৰণেই বিবিধ কল আৰু কলৰ নদন-বদন বাৰী এখনৰ পৰাও লঙ্কাৰ বণিজৰ লাভ ঘৰতে বহি পোৱা যায় বুলি ডাক পুৰুষে কৈ গৈছে। কিন্তু তাকে কৰিবলৈ বাৰীত দুই-চাৰিজোপা কল কলেই নহয়, অন্ততঃ তিনিশ ষাঠি জোপা কল বাৰীখনত থাকিব লাগে আৰু সেই বাৰীখনৰ তালাপি কৰিবলৈ উপযুক্ত মানুহো নিযুক্ত থাকিব লাগে। কলগছৰ তল আৰু গুৰিবোৰ চিকুণাই নাথাকিলে জংঘল হৈ পৰে। গতিকে মাহেকে পষেকে সেইবোৰ চিকুণাই থকাটোও প্ৰয়োজনীয় কাম।—ডাকৰ মতে বাৰীখনত

তিনিশ ষাঠি জোপা কৰা কল,
মাহেকে পষেকে চিকুণাবা তল;
পাত-পচলা লাভত খাবা;
লঙ্কাৰ বণিজ হাততে পাবা।'

বস্তা, কদলী, কদল আদি কলৰ নানা নাম। সংস্কৃত 'কদল' শব্দৰ পৰাই 'কল' হোৱা বুলি বুজা যায়। পিছে, লঙ্কাৰ বাণিজ্যৰ ফল হাততে লাভ কৰিব পৰা এই কদলীৰ জন্ম কেনেকৈ হ'ল হিন্দু জনশ্ৰুতিত সেই বিষয়ে এটা আখ্যান আছে। আখ্যানটো এই—

কোনো এক বামুণৰ পাঁচ বছৰীয়া ছোৱালী এজনী আছিল। তাই সদায় মাকহঁতৰ লগত নদীলৈ অহা-যোৱা কৰিছিল। এদিন দুপৰীয়া বাপেক-মাক দুয়ো ঘৰৰ কিবা কামত ব্যস্ত থকাত তাই অকলে সেই পাৰলৈ গ'ল। দুপৰীয়া বেলিটো তেতিয়া মাজ আকাশত উঠি পৃথিৱীৰ

সকলো বস্তুৰ ওপৰত পূৰ্ণ দৃষ্টি পেলাইছিল। কি কথা—সূৰ্য্য দেৱতাৰ সেইদিনা সেই পাঁচ বছৰীয়া ছোৱালীজনীৰ ওপৰত কিবা প্ৰকাৰে ৰেখ পৰিল। সূৰ্য্যৰ উজ্জ্বল কিৰণত তাই আৰু বেছি দীপলিপ হৈ উঠিল। অতৰ্কিতে তাই অন্তঃসত্ত্বা হ'ল।

বাপেক বামুণে কিছু দিনৰ পিছত জীয়েকৰ এই দুৰৱস্থা দেখি নিজৰ মান-গৌৰৱ লাঘৱ হোৱাৰ কথা ৰবকৈ ভাবিলে আৰু জীয়েকক কোনেও মজনাকৈ কোনোবা অৰণ্যৰ মাজত এৰি আহিবলৈ স্থিৰ কৰিলে। সেই-মতে তেওঁ এদিন তাইক নি হিমালয় পৰ্ব্বতৰ ওপৰৰ এখন হাবিত এৰি থৈ আহিল।

কিছুদিন এইদৰে গ'ল। বামুণ-বামুণীৰ মনত বেয়া লাগিবলৈ ধৰিলে; হাজাৰ হওক—নিজৰ পেটৰ সন্তান! ঘৈণীয়েকৰ লগত পৰামৰ্শ কৰি এদিন জীয়েকৰনো দশা কি হ'ল তাৰে খবৰ লবলৈ বুলি বামুণ হিমালয় পৰ্ব্বতৰ ওপৰ পালেগৈ। যথাস্থান পাই বামুণ দেখি অবাক হ'ল যে তেওঁ জীয়েকক যি ঠাইত এৰি আহিছিল তাত এই দিনচেৰেকৰ ভিতৰতে দুজোপা ধুনীয়া গছ গজিছে; কল গছ! এজোপাত থোক পৰিছে, আনজোপা লহপহ কৰে বাঢি আহিছে, সিজোপাৰ কাষতে। বামুণে জীয়েকৰ হলে একো চিন-মোকাম নাপালে।

ইমান দূৰ গৈ বামুণ ভোক আৰু পিয়াহত কাতৰ হৈ পৰিছিল। জিৰণি লবলৈ তেওঁ সেই কল-গছৰ ছাঁতে বহিল। তেওঁক টোপনিয়ে জোকাবলৈ ধৰিলে। তেতিয়া তেওঁ নিস্বৰ হাতৰ ওপৰতে মূৰটো থৈ কুকুৰ মোটোকা দি টোপনিত পৰিল। বামুণৰ যেতিয়া ভৰ টোপনি, তেতিয়া সূৰ্য্য দেৱতাই তেওঁক সপোনত কলেহি—'বিপ্ৰ, তুমি মোক চিনিব পাৰিছানে? মই স্বয়ং সূৰ্য্য দেৱতা। তোমাৰ জীয়েৰাৰ গাত একো দোষ নাছিল। মই তাইৰ প্ৰতি প্ৰসন্ন হৈ তাইক কাম দৃষ্টিৰে চোৱাত তাই সন্তান-সম্ভৱা হৈছিল। লোকাপবাদৰ ভয়ত তোমালোকে তাইক নিৰ্ব্বাসন দিলা। যি হওক, তাইক তোমালোকে আৰু নোপোৱা। তাইৰ এজনী ছোৱালী জন্মিছিল, মৰিছে। মাক-জীয়েক দুয়ো মৰিছে, দুয়োকে মই স্বৰ্গলৈ আনিছোঁ। সিহঁত দুয়ো যি ঠাইত মৰিছিল তাত এতিয়া দুজোপা কল গছ গজিছে। এই ডাঙৰ কলজোপাত লাগি পৰি থকা কলবোৰ

তুমি নিশ্চিন্তমনে থাই তোক পলুৱাব পাবা। গছজোপাৰপৰা দোনা এটা বা দুটা আনি চেপিলেই পানী ওলাব। পিয়ে তোমাৰ পিয়াহ দূৰ কৰিব। উভতি যাওঁতে পুলিটো তুমি তুলি হাতত লৈ যাবা আৰু যাবীত কৰা। পৃথিবীত ইয়াৰপৰাই কলগছ হব। অতি পৱিত্র আৰু মধুৰ কল বুলি ই সকলোৱে আদৰ লাভ কৰিব। দেৱতাৰ কাৰ্য্যত ইয়াৰ বৰ প্ৰয়োজন হব।'

তাৰ পিছত বামুণে সাৰ পালে। তেওঁ বৰ-চালিতুৰ হবে হৈ সূৰ্য্য দেৱতাৰ নিৰ্দ্দেশমতে কাম কৰিলে। তেতিয়াৰেপৰা পৃথিবীলৈ কলৰ গছ আহিল। সেই দিন ধৰি কল হিন্দুসকলৰ পৰম পৱিত্র বস্তু হৈ পৰিল। সেই আখ্যানকে মনত ৰাখি আজিও নকৈ বোৱা কলৰ থোক পৰিলে তাক দেৱতালৈ উছৰ্গা কৰিহে মানুহে খায়।

ধানৰ দৰে কলৰো প্ৰকাৰ অনেক আৰু নাম অসংখ্য। জাহাজী, বৰতমণি, পুৱা, মনোহৰ, চেনিচম্পা, মালভোগ, দিগ্‌বিজয়, ভৱৰা, দীপ বোৱা, সোন্দাকল আদিক যজ্ঞীয় কল বোলা যায়; কাৰণ, এইবোৰ দেৱ-দেৱীৰ পূজা-অৰ্চ্চনাত লাগে। আঠীয়া, কেচেইলেপা, মৌটুপী, বজা আদি কিছুমান কল দেৱতালৈ অগাবঢোৱা নাযায়। ভিতৰত গুটি থকা বাবে আৰু দেখাতো সিমান শোভনীয় নহয় কাৰণেই এইবোৰৰ এনে গতি। এইবোৰক যজ্ঞীয় কল নহয় বুলি ধৰা হয়। পাত-পচলা আদিৰ বাবে কিন্তু এইবোৰ কলহে অধিক প্ৰয়োজনীয়।

পুৱা কল সাধাৰণতে কেঁচাই কেঁচাই আঞ্জা বান্ধি খোৱা হয়। সেই বাবেই ইয়াৰ এটা নাম কাঁচ কল (কেঁচা কল)। কেঁচা পুৱা কলৰ আঞ্জা বৰ সুস্বাদু আৰু স্বাস্থ্যকৰ। পুৱা কলত লোহ ধাতুৰ গুণ বা মাত্ৰা অধিক পৰিমাণে থকা হেতুকে ইয়াক স্বাস্থ্যৰ কাৰণে পৰম হিতকৰ খাদ্য বুলি ডাক্তৰসকলে অভিমত দিয়ে। পকিলেও পুৱাকল দেৱতাৰ নামত উছৰ্গা কৰা হয়। সেইবাবেই উপহাসৰ সুৰত কোৱা হয়—

'মালভোগ-পুৱা, ভিতৰতে যুৱা।
বজা-আঠীয়া, বাহিৰলৈ পঠিয়া।'

অৰ্থাৎ ভাল ভাল যজ্ঞীয় কলবোৰ মণিকূট আৰু তাৰ আশে-পাশে থকা তথাকথিত বৰলোকসকলৰ মাজতে বিতৰণ কৰি খোৱা, আৰু অযজ্ঞীয়, অশোভন, আঠীয়া, মৌটুপী আদি কলবোৰ বাহিৰত থকা ইতৰ লোক-সকলৈ পঠোৱাটোৱে সাধাৰণ ৰীতি।

আঠীয়া কলবেই এবিধক ভীম-কল বোলা হয়। আকাৰত ডাঙৰ কাৰণেই নাম ভীম-কল। ভীম-কল নামটো কেনেকৈ হ'ল সেই সম্পৰ্কেও এটা আখ্যান আছে। ভীম এসময়ত কৈলাসত মহাদেৱৰ গৰু-ৰখীয়া হৈ আছিল। ভীম-চৰিত পুথিত আছে—

'ভীমে বোলে দাদা মই কৈলাসক যাওঁ;
মহাদেৱৰ গৰু চাৰি পেট প্ৰবৰ্ত্তাওঁ।'

সেই সময়তে এদিন হেনো হাবিত গৰু এৰি দি ভীম আছিল ক'ৰবাত গছৰ ছাঁত জিৰণি লৈ। তেতিয়া দৈত্য-দানৱবোৰে মানুহ-গৰু আদি খাবলৈ হাবিয়ে-বনিনিয়ে লুংলুঙাই ফুৰিছিল। তেনে এটা উদ্ভীয়া দৈত্যই হাবিত ভীম থকা বুলি শুনি তেওঁক খাবলৈ বিচাৰি ফুৰি সেই ঠাইত ওলালগৈ। ভীমে পৰ্ব্বতাকাৰ দৈত্যটোক দূৰতে দেখি কথাটো বুজিলে আৰু মনতে ভাবিলে—ই ধৰিব লাগিলে বাচি যোৱা টান হব; গতিকে এটা বুদ্ধি কৰা যাওক। এই ভাবি ভীমে ওচৰতে থকা কলগছ কেই-জোপা মানৰ আঁৰত লুকালগৈ। ভীমক বিচাৰি নাপাই দৈত্য উভতি গ'ল। ভীমে তেতিয়া লাহেকৈ হাতভৃ-সাৰে ভৰিত সাৰে কলগছৰ মাজৰপৰা ওলাই আহি তাৰে কল এজোপা ভাঙি কান্ধত ললে আৰু সংবেগেৰে পিছফালৰপৰা দৈত্যক গাৰ জোৰেৰে মাৰ শোধালেগৈ। ভীমৰ কোৰ খাই দৈত্য মাটিত লাংখাই পৰিল। ভীমে তেতিয়া তাৰ বুকুত বহি লৈ তাক পাৰেমানে ভুকুৱাবলৈ ধৰিলে। তাতে দৈত্য তেজে বতিয়াই মৰিল। মৰিবৰ সময়ত দৈত্যই কলগছ জোপাক শাও দিলে যে যি কলগছে কৈলাসত থাকিও ভীমক এনেকৈ অন্যায়-অকৰমত সহায় কৰিলে—সেই কলগছৰ ফল সিদিনাৰপৰা দেৱতাৰ কোনো কামত নালাগিব। পৃথিৱীতহে সেই কল গছৰ আবাস হব। আৰু সেই কলগছৰ ওপৰত উঠি খচি-গৰকি মানুহে কোনো কোনো সময়ত তাক অকথ্য ভাৱে অত্যাচাৰ কৰিব। ভীমৰ নাম অনুসৰি তেতিয়াৰেপৰা সেই কল গছৰ নাম হ'ল ভীম-কল। সেই কলৰ পূৰ্ব্ব নাম আঠীয়া কল আছিল। আজিকালিও ভীম কলক আঠীয়াৰে শ্ৰেণী বিশেষ বুলি জনা যায়। এই শ্ৰেণীৰ কলবোৰ সেই দিন ধৰি যত্নত নলগা হ'ল।

কল কেনেকৈ ৰুব লাগে, কি কলত কি সাৰ দিব লাগে, কেনে ঠাই কি কলৰ খেতিৰ বাবে প্ৰশস্ত, ইত্যাদি বিষয়ৰ স্পষ্ট নিৰ্দেশ ডাকৰ বচনত আছে।

এহাত এমুঠন কলৰ গোত,
তেহে চাবা কলৰ গোট।—আৰু—
জালুকত গোবৰ, পাণত মাটি,
কল-পুলি ৰুবা তিনিবাৰ কাটি।

অৰ্থাৎ কল ৰোৱা গাতবোৰ এহাত এমুঠন দ হব লাগে; এই পৰিমাণৰ তাৰতম্য বা কম-বেছি হলে কলৰ চেহেৰা ভাল নহয়। আৰু 'কল ৰুবা তিনিবাৰ কাটি' বোলা কথা আযাৰৰ দুই প্ৰকাৰ অৰ্থ। একে ঠাইতে একে জোপা কলৰপৰা ক্ৰমে পুলি-পোখা হৈ তাত তিনি থোক কল পৰিলে সেই ঠাইৰপৰা তাক তুলি নি অন্য ঠাইত ৰুব লাগে; কাৰণ তিনি থোক কল হোৱাৰ পিছত সেই ঠাইত সাৰ নাইকিয়া হয়। কলবোৰ তেতিয়া লাহে লাহে বেয়া হবলৈ ধৰে। ইয়াত তিনিবাৰ কাটি মানে তিনি থোক কল কাটি পাৰি অনা অৰ্থ কৰা হৈছে। দ্বিতীয় অৰ্থ মতে ৰুব খোজা কলৰ পুলিটো প্ৰথমে এবাৰ কাটি দিব লাগে। তাৰ পিছত পাত আহিব, সেই পাতবোৰ বুঢ়া হলে সেই বুঢ়া পাতবোৰ কাটি দি দিনচেৰেক বাট চাব লাগে আৰু তৃতীয় বাৰ তাৰ মূৰাটো কাটি তুলি নি ৰুব লাগে। নহলে হেনো কলৰ পাতবোৰ দীঘল দীঘল হয় আৰু থোক সৰু হয়। প্ৰথম অৰ্থটোৱে বেছি বিজ্ঞানসন্মত অৰ্থ। অনেকৰ মতেৰে কল কলে কলৰ গোটবোৰ ভাল হয়।

সকলো কল গছতে একে প্ৰকাৰ সাৰ ভাল নহয়। দিব লাগে—

আঠীয়াত গোবৰ, মনোহৰত জাবৰ;
পুৰাত খাই, মালভোগত ছাই।

'পুৰাত খাই' মানে—খাৰৈ বা লোৰ; অৰ্থাৎ জুলি, লোৰ বা খাৰৈ কাটি তাৰ পাৰত পুৰা কল ৰুব লাগে। বছৰৰ ভিতৰত ভাদ মাহত বাহিৰে আটাইকেইটা মাহতে কল ৰোৱা যায়। ভাদ মাহত মাটি জেকা হৈ থাকে, গতিকে তেতিয়া ৰুলে কল গছ বঢ়া পৰি মৰি যোৱাৰ পূৰ্ণ সম্ভাৱনা। লঙ্কাৰ ৰজা ৰাৱণৰ মৃত্যুৰ কাৰণ ভাদ মাহত কল ৰোৱাটোৱে আছিল বুলি উপহাসৰ সুৰত ডাকৰ বচন জোৰাই কোৱা হয়—

ভাদত কল কৰি ৰোপণ,
সবংশে মৰিল লঙ্কাৰ ৰাৱণ।

কল গছৰ কোনো অংশয়ে পেলনি নাযায়; সকলো অংশই মানুহৰ এটা নহয় এটা কামত লাগে। পাত পচলাৰ কথ এৰিও মুৰ, আৰু গা-গছ কালি, শুকাই, পুৰি সুন্দৰ খাৰ তৈয়াৰ কৰা হয়। ইয়াক কলা-খাৰ বোলে। কাতি মাহত তৈয়াৰ কৰা কলা-খাৰ বৰ চোকা হয়। কাতিৰ কলা-খাৰ চোৰাৰ চৈধ্য পুৰুষ। এই কলা-খাৰ অসমীয়াৰ বৰ প্ৰিয় বস্তু আৰু তৃপ্তিকৰ খাদ্য। এই খাৰৰ প্ৰতি অসমীয়া লোকৰ আসক্তি কেনে তাকে বুজাবলে অসমীয়া লোকক বোলা হয় খাৰ-খোৱা অসমীয়া। কথাৰ মুৰত কথা নোলাই অন্য কিবা অপ্ৰাসঙ্গিক কথা মুখত ওলালে সেই বক্তাই যোজনা দি কয়—'খাৰ খোৱা জিভা, আহে কিবা কিবা।'

কলৰ বাকলি আৰু থোকটো শুকাই পুৰিও খাৰ তৈয়াৰ কৰা হয়। তাক কল-বাকলিৰ খাৰ বোলে। কল-বাকলিৰ খাৰ আৰু মিঠাতেল পানী-লাগি-মাত-ভগা মানুহক খাবলৈ দিয়া হয়। অন্যান্য ৰোগতো কল-বাকলিৰ খাৰ ঔষধ স্বৰূপে বৰকৈ ব্যৱহাৰ হয়।

কলৰ দোনা, পাত, কলাফল আদিও দেৱ-কাৰ্য্যত লাগে। বানপানী আহিলে ভীম কল বা আঠীয়া কলৰ ভুৰ দুখীয়া খেতিয়কৰ জীৱন-সৰ্ব্বস্ব স্বৰূপ হৈ পৰে। বহুত সময়ত এনে ভুৰৰ ওপৰত বানপানী পীড়িত অঞ্চলৰ লোকসকলে গৰু-ম'হ-ছাগলী আদি তুলি লৈ ঘৰৰ অন্যান্য লামলাকটুসহ নিৰাপদ স্থানলৈ গুচি যায়।

সুকনান্নীত (মনসা কাব্যত) আছে যে পতি লখিন্দৰক জীয়াই আনিবৰ বাবে সতী বেউলাই ভুৰত উঠি ব্ৰহ্মপুত্ৰইদি (লুইতেৰে) উজাই যাবলৈ ওলাই শহুৰেক চান্দো সদাগৰক ভুৰ সাজিবলৈ কল গছ ভিক্ষা কৰিছিল। বণিক চন্দ্ৰধৰে ভেতিয়া ভাবি-চাই দেখিছিল যে মৰা মানুহক ভুৰত তুলি দি জীয়াই অনাটো নোহোৱা-নোপজা কথা। তেনে এটি কামৰ বাবে কল গছ কাটিবলৈ দিলে লাভৰ ভিতৰত হ'ব বাৰীৰ কলগছ কেইজোপাৰ অকাল বিনাশ। সেইদেখি তেওঁৰ মৰমৰ বোৱাৰীয়েক বেউলাক কল গছৰ মূল্য আৰু প্ৰয়োজনীয়তাৰ বিষয়ে খোলাখুলিভাবে কৈছিল—

এক ডালি কলে পাওঁ বণ বিশ কড়ি
কলক বেচিয়া ধন খেবো ঘৰ কৰি।

বৃদ্ধকালে সেই ধন ভাঙি ছিঙি খাইবো ;
কল হানি হলে আমি কিমতে তৰিবো। ইত্যাদি

ইয়াৰ উপৰি গৰম কালি পচলাৰ খাৰ, পাতত দিয়া মাছ, কলফুলৰ আঞ্জা আদি অসমীয়াৰ অতি প্ৰিয় খাদ্য।

ঔষধতো কলৰ প্ৰয়োগ প্ৰচুৰ। বন্ধ্যা নাৰীৰ বন্ধ্যাত্ব দূৰ কৰিবলৈ পকা মালভোগ কলত জোনাকী পৰুৱা এটা ভৰাই খুওৱা হয়। পূজা সেৱা আদিত কলৰ ওপৰত খুঁচি দি ধূপ জ্বলোৱা হয়। তেনেকৈ ধূপ খুঁচি দিয়া কল খুৱালে সৰু ল'ৰা-ছোৱালীৰ পেটৰ পিত মূত দোষ দূৰ হয় বুলি লোক-বিশ্বাস। কুকুৰাকণা মানুহকো মালভোগ বা বৰতমণি কলৰ ভিতৰত জোনাকী পৰুৱা খুৱালে চকুৰে দেখা হয় বুলি গাঁও-ভূঁইত সকলোৱে কয়। কলৰ মধা বা মধুনা বিশেষকৈ পচা কলৰ মধা উত্তম ভৰা আৰু পোৰ-ণিৰ জ্বৰণি ঔষধ।

এইবোৰৰ উপৰিও ডাকৰ বচন মতে আহিন মাহত পকা কল আৰু পুহ মাহত পোৰা কল খোৱাটো স্বাস্থ্যৰ বাবে বিশেষ হিতকৰ। পুহমহীয়া জুহাল কাষত ককাদেউতাক বা আইতাহঁতে নাতি-বোৱাৰীক কেঁচা কল পুৰি খাবলৈ দি বৰ সন্তোষ পায়। সাধাৰণতে ভীম কল বা আঠীয়া কল পোৰা হয়। অন্য কল পুৰি খাবলৈ সিমান ভাল নালাগে।

ভাদ্ৰত ওল, আহিনত কল ;
কাতিৰ কচুত বাঢ়ে বল।

মাঙ্গলিক দ্ৰব্যবোৰৰ ভিতৰতো কলৰ স্থান সবাতো আগত। পূজাৰ বেদীৰ চাৰিওকালে কলৰ পুলি পুতি তাত এধা সূতা মেৰিয়াই থোৱা হয়। কলৰ সম্পূৰ্ণ থোক বা আখি দেৱ-দেৱীৰ নৈবেদ্যৰ আগত দিয়াই তেওঁলোকৰ সুপ্ৰীতি কামনা কৰা হয়। বিবাহ আদি সকলো শুভ কাৰ্য্যতে বাটৰ প্ৰবেশ মাৰত, বাটঘৰৰ সন্মুখত বা বৰঘৰৰ দুৱাৰৰ প্ৰবেশ পথত কল-পুলি পুতি তাত আম-পাত, কণাহ, মাটিৰ ঘট, আদি ৰাখি থৈ মঙ্গল সূচনা কৰা হয়। বাটঘৰৰ ওচৰত প্ৰত্যেক দুৱাৰ মুখে দাঁতিত এনেকৈ পোতা কলপুলিৰ মাজে-মাজে ৰ'দ পৰে। ৰজা, মহাৰজা, জমিদাৰ, ৰাজ্য-পাল আদি ক্ষমতাশালী লোকসকলক আদৰি আনিবলৈও আলিৰ দুয়ো দাঁতিত কলপুলি পুতি মঙ্গল সূচনা কৰা হয়।

কল গছৰ আৰু এটা নাম ৰম্ভা। স্বৰ্গৰ নৰ্ত্তকী এগৰাকীৰো নাম ৰম্ভা। জন-প্ৰবাদমতে দেৱৰাজ ইন্দ্ৰই কিবা কথাত অসন্তুষ্ট হৈ নৰ্ত্তকী ৰম্ভাক এবাৰ উগ্ৰ শাস্তি দিব খুজিছিল। ৰম্ভাই দেৱৰাজ ইন্দ্ৰৰ কোপ-দৃষ্টিৰপৰা দুৰত থাকিবলৈ সঙ্কল্প কৰি কলগছ কিছুমানৰ মাজত লুকাই থাকিবলৈ ধৰিলে। কলগছবোৰো এনে ধুনীয়া আৰু লহপহীয়া আছিল যে সেইবোৰৰ মাজত সোমোৱাত ৰম্ভাও সেইবোৰৰে এজুপি যেন হৈ পৰিছিল।

চকুৰ আঁতৰেই মনৰো আঁতৰ। ইন্দ্ৰয়ো ৰম্ভাক তেওঁৰ চকুৰ আগত নেদেখি তেওঁৰ বিষয়ে পাহৰি যোৱাৰ দৰে হৈছিল। পিছত ইন্দ্ৰৰ ক্ৰোধ কিঞ্চিৎ উপশম হোৱাত ৰম্ভা আহি তেওঁৰ চৰণত পৰিল আৰু ক্ষমা ভিক্ষা কৰিলে আৰু ইন্দ্ৰই তেওঁক ক্ষমা কৰিলে। তেতিয়াৰেপৰা ৰূপ-লাৱণ্যৰ উপমা দিবলৈ কল গছৰ আৰু এটা নাম হ'ল ৰম্ভা। এতিয়াও তিৰোতাৰ ধুনীয়া উৰুৰ তুলনা দিবলৈ ৰম্ভা বা ৰাম্ভকলৰ উল্লেখ কৰা হয়। উৰুৰ তুলনা দিয়াত ৰম্ভাই কবি-প্ৰসিদ্ধি লাভ কৰিছে।

বৰ্তুল জঘন উৰু যে ৰামকল।
থল কমলকো গঞ্জে চৰণ কমল॥

ৰামায়ণ (আদিকাণ্ড)

বাল্মীকিৰ ৰামায়ণত পোৱা যায় যে সীতাই ৰাৱণৰ হাতত ধৰিতা হোৱাৰ ভয় আৰু খণ্ডত ৰতাহত কঁপি থকা কলগছৰ দৰে কঁপি আছিল— 'ৰাতাহতা কদলীৰত্তৰী।'

পুৰণি পুথি, বিহুগীত, বৰগীত আদিতো কলগছৰ উল্লেখ ভূৰি ভূৰি পোৱা যায়। বিহুগীতৰ—

'আঠীয়া কলৰে পাতে নাকাটিবা
চিটিকি পৰিব এঠা;
লোকক দেখুৱাই ফেটেৰাই খাতিবা
ভিতৰি নেৰিবা বেথা।'
ফেলেই কুটিলা চুমুকৈ পচলা
লোকে বাটি ভৰাই খাব;

কেলেই তুলিলা   ৰূপহী আইদেউক
লোকে বন কৰা খাব। ইত্যাদি

বিয়াত জোৰা নাম গাওঁতে দ'ৰাবোৰে চুপতি মাৰিবলৈ ছোৱালী-বোৰলৈ ইঙ্গিত দি গায়—

'ফুলৰ ভিতৰতে পদুমে নাহৰে
কলৰ ভিতৰতে ভীম ;
আমি জোৰানাম দিবহে লাগিলে
নামতীক পলুৱাই নিম। ইত্যাদি।

আকৌ মুখে মুখে চলি থকা ফকৰাত আছে—

'আলু খালে ভোলানাথে, কল খালে জগন্নাথে
বাকলি চুহিলে ঘি,
ধন ভৰি মৰে সি। ইত্যাদি।

এই বচনবোৰেও জানো কলৰে জয়গীত নাগায় ?

এইবোৰৰ উপৰিও বিয়াত দৰা-কইনাক নোৱাব-ধুৱাব লাগে কলপুলিৰ তলত, বেইঘৰ সাজিব লাগে কল গছেৰে আৰু দৰা আদৰিব লাগে গাৰ্খীৰ-কলেৰে। ছোৱালী পুষ্পিতা হলেও গা-ধুৱাই উঠি তেওঁক পোনতে চাবলৈ দিয়া হয় ভৰা কলৰ থোক এটা। তাৰো তাৎপৰ্য্য কন্যাক ফল-প্ৰসূ হবলৈ মনত উৎসাহ প্ৰদান কৰা। এইদৰে কল আৰু কলগছৰ উপকাৰিতা আৰু প্ৰয়োজন অসমীয়াৰ গঞা জীৱনত লেখ দি অন্ত কৰিব নোৱাৰি। সেইবাবেই দুৰ্গাপূজাৰ বিজয়া দশমীৰ দিনা বাৰীত অসমীয়া খেতিয়কে অন্ততঃ এজোপা কলগছ কই হলেও ভাগ্যলক্ষ্মীক আহ্বান কৰে।

কল আৰু বাঁহগছৰ উপকাৰিতা কৈ অন্ত কৰিব নোৱাৰি। মুঠতে জন্মৰ দিনৰেপৰা মৃত্যুৰ দিন পৰ্য্যন্ত কল আৰু কলগছৰ লগত গৃহীৰ সম্বন্ধ ওতপ্ৰোত। কলগছে জীয়াই থাকি তো মানুহৰ উপকাৰ সাধন কৰেই, কটা গৈ বা মৰিও তাৰ আৰু থাৰ হৈ মানুহৰ অশেষ হিত সাধন কৰে।

সাতত পাতল পাঁচত ঘন

কত জন্মৰ মূৰত পুত্ৰৱতী নাৰী,
কত জন্মৰ মূৰত তামোল-পাণৰ বাৰী;
কত জন্মৰ মূৰত পৰক পৰে বায়,
কত জন্মৰ মূৰত ভাতক ভাতে খায়।

ইয়াত পৰজন্ম আৰু কৰ্ম্মফলত বিশ্বাস স্থাপন কৰি পুত্ৰৱতী নাৰী আৰু তামোল-পাণৰ বাৰী—এই দুযোটা বস্তু ভাগ্য আৰু সাধনাৰ ফলতহে লাভ হয় বুলি কোৱা হৈছে। প্ৰকৃততে চাৰিওফালে ঢাপ দি তালকৈ তামোল-পাণৰ বাৰী পাতি লব পাৰিলে বিস্তৰ অৰ্থোপাৰ্জ্জন হয়। সেইবাবে বাৰীত তামোল-পাণ আদি ৰোওতে কিমান দূৰে দূৰে কি গছ ৰুব লাগে সেই সম্পৰ্কে ডাকৰ বচনবোৰত বিশেষ নিৰ্দ্দেশ দিয়া আছে; যেনে,

সাতত পাতল, পাঁচত ঘন
ছয়ত তামোল নদন-বদন।

অৰ্থাৎ ছয় হাত দূৰে দূৰে তামোলৰ পুলি ৰুলে বাৰীখন নদন-বদন হৈ উঠে। সাত হাত ফাঁকত ৰুলে পাতল আৰু পাঁচ হাত ফাঁকত ৰুলেও ঘন হয়।

আকৌ এফাকি বচন আছে, বোলে—

'নালাগে তামোল লাগে,
লাগে তামোল নালাগে।'

তাৰ অৰ্থ এই যে ইডাল তামোলৰ পাত সিডালৰ পাতত লাগি থাকিব নালাগে; লাগি থাকিলে তামোল নালাগে, আৰু ডালগছৰ পাতলে পাতলে থাকিলেহে তামোল লাগে।

তামোলৰ লগতে পাণৰ কথা আছে; পাণ কেনেকৈ ৰোৱা যায় আৰু তামোল-পাণত বাহিৰে বাৰীত কপাহ, মূলা আদিৰ খেতি কেনেকৈ কৰিব লাগে সেই বিষয়েও উপদেশ দিয়া আছে।

যোল চাহত মূলা, তাৰ অৰ্দ্ধেক তুলা ;
তাৰ অৰ্দ্ধেক ধান, বিনা চাহত পাণ।

অৰ্থাৎ মূলাৰ খেতিৰ বাবে মাটি যোল চাহ বাই পিঠাগুৰিৰ দৰে ভুৰভুৰীয়া আৰু নিমজ কৰিব লাগে ; কপাহৰ বাবে তাৰ আধা হলেই হয় ; ধানৰ কাৰণে চাৰি চাহেই যথেষ্ট। পাণৰ কাৰণে হলে মাটি চহোৰাৰ প্ৰয়োজনেই নাই ; কাৰণ পাণৰ শিপা তললৈ নাযায়। পাণ উঠা গছ দেখিবলৈও শুৱনি হয়। কথাতে কয়—

গছৰ শোভন ডাব নাৰিকল, বাৰীৰ শোভন পাণ ;
গাঁৱৰ শোভন ভাল মানুহ, আগত ধৰে মান।
আগফাল শুৱনি কাকিনি তামোল, পাছফাল শুৱনি পাণ ;
ৰৰঘৰ শুৱনি জীয়ৰী ছোৱালী, উলিয়াই দিবলৈ টান।

তামোল-পাণৰ গুণ সম্পৰ্কেও অসমীয়া মানুহক দোহাৰি কব নালাগে। কেৰালা, মাদ্ৰাজ আদি কিছুমান ঠাইৰ মানুহে বিয়া নকৰোৱালৈকে তামোল-পাণ নাখায়। তেওঁলোকৰ মতে 'তাম্বুল-ভক্ষণ', বিবাহিতৰ লক্ষণ। অসমীয়া মানুহৰ কিন্তু তামোল খোৱাত ল'ৰা তিৰোতা, ডেকা-আদহীয়াৰ একো বাছ-বিচাৰ নাই। তামোল খোৱা কাৰো বাবে নিষিদ্ধ নহয়। বুঢ়াসকলে খুন্দনাত খুন্দিও তামোল খায় আৰু সকলোতে তামোল খোৱাৰ ফোৰ তেওঁলোকৰ ভিতৰতহে চাৰ। শোলা মুখখনত তামোল এখন থাকিলে হেনো মুখখনত উম লাগি থাকে। অসমীয়া নিদান মতেও তামোল-পাণে দাঁতৰ ৰোগ, পেটৰ অসুখ আদি আৰোগ্য কৰাত সহায় কৰে। বাৰিষা হাল বাওঁতে পানীত জোকে ধৰিলে তামোলৰ পিক দিলে সি তৎক্ষণাৎ কামুৰিব এৰি পলায়। জোকৰ মুখত দিয়াৰ উপৰিও সকলো কিছুমান ৰোগত তামোলৰ পিক ভাল ঔষধ। তামোল বোলোতে আকৌ তামোল, পাণ, চুণ আৰু ধপাত, হলেহে অসমীয়া তামোলখন সম্পূৰ্ণ হৈ উঠে। সেইবাবে কথাতে যেনালি কৰি ফকৰা মতা হয়—

তামোল এখন দিয়া ভকত, পাণ-চুণ তাৰে লগত ;
ধপাত ভকত দিব পাছে—এইবেলৈ আমাৰ সকলো লগতে আছে।

তামোলে গাৰ উত্তাপ বঢ়ায়। শোক-নিবেদনত ই যেন অসমীয়াৰ এটা অপৰিহাৰ্য্য অংগ। সেইকাৰণে আজও তামোল খোৱা অসমীয়াৰ জাতীয়

আচাৰ। ইয়াৰ বিধান স্মৃতি শাস্ত্ৰতো পোৱা যায়। বাৎস্যায়নৰ কামশাস্ত্ৰৰ বিধান মতেও ৰাতি ভোজনৰ অন্তত দাঁত ঘঁহি পৰিষ্কাৰ কৰি ধুই তামোল খাই মুখ সুগন্ধি কৰি লৈহে শোৱনিত উঠিব লাগে। পাণ আৰু চন্দনৰ প্ৰলেপ অতিশয় কামবৰ্দ্ধক আৰু বিয়াৰ পাছত ইয়াৰ যথাযথ ব্যৱহাৰ কেনেকৈ কৰিব লাগে তাৰ ব্যৱস্থা কামশাস্ত্ৰত দিয়া আছে।

অসমীয়াৰ ধৰ্ম্ম-কৰ্ম্ম সকলো বিষয়তে তামোল-পাণে আগভাগ গ্ৰহণ কৰে পূজাৰ নৈবেদ্যত তামোল-পাণ লাগে, বৰণত তামোল-পাণ লাগে দক্ষিণাত তামোল-পাণ লাগে, আলহী-অতিথিৰ আগত পোনতে দিয়া হয় তামোল-পাণ, উৎসৱত গুৰু গোঁসাই, নামঘৰ আদিলৈ আগে আগবঢোৱা হয় তামোল-পাণ। বিয়াত অন্য বস্তুতকৈ তামোল-পাণহে বেছিকৈ খৰচ হয়। হিন্দুৰ বিয়া শেষ কৰিবলৈ সপ্তপদী অনুষ্ঠানত লাগে সাত পাত পাণ, বিবাহ বিচ্ছেদ কৰিবলৈ হলেও একমাত্ৰ বিধি 'পাণ-ছিৰি' এৰি দিয়া। মুখত চোবোৱা তামোলো অতি মৰমৰ জনত বাহিৰে আনক দিয়া নিষেধ।

বিহুগীত, বনগীত আদিত তামোল-পাণ আৰু বিশেষকৈ কটা তামোল-খনৰ উল্লেখ ঘনাই ঘনাই পোৱা যায়।—

ফিনো তামোলখনি দিলা মোৰ মইনা
অতি চেনেহেৰে খালোঁ,
সেই নো তামোখনি খাবৰে পৰা ঐ
তোমাৰ লগত চিনাকি হলোঁ।
নাখাইও নোৱাৰি খালেও নামুৱাৰি
ঘৃষ্টৰ থুৰি তামোলখনি;
থুৰিয়া তামোলত কি যাদু কৰিলি
মতা হাঁহে পাৰিছে কণী।
তামোলটি কাটিলোঁ ছুখনি কৰিলোঁ
ৰংপুৰ বজাৰৰ পাণ,
খাবে পখাবে বিচাৰি ফুৰিলোঁ
কতো নাই আছিলা প্ৰাণ।
তোমাৰ কটা তামোল নাখাওঁ ঐ মাহঁৰী
আমাৰে বাৰিৰ ফুল।

এইদৰে প্ৰেমৰ আদান-প্ৰদান, দেৱ-দেৱীৰ পূজা-সেৱা, সামাজিক আদৰ-ব্যৱহাৰ, নিমন্ত্ৰণ, অভ্যৰ্থনা, বিদায় আদি জীৱনৰ সকলো ক্ষেত্ৰতে তামোল-পাণ অসমীয়াৰ অপৰিহাৰ্য্য সামগ্ৰী। সমাজত কেতিয়াবা ৰায়-জগৰ লগা-লেও তামোল-পাণৰ বটা আগ বঢ়াইহে ক্ষমা প্ৰাৰ্থনা কৰা হয়। আহোম ৰজাসকলৰ দিনত সেইবাবে ৰাজসভাত তামোল-পাণৰ যোগান ধৰিবলৈ তামুলী বিষয়া আছিল। মোমাই তামুলী বৰবৰুৱাৰ নাম এই প্ৰসঙ্গত উল্লেখযোগ্য।

তেতিয়া আহোমৰ ৰাজপাটত আছিল চুচেংফা বা প্ৰতাপসিংহ ৰজা। এওঁৰে আৰু এটা নাম আছিল বুদ্ধিস্বৰ্গ নাৰায়ণ। পাত্ৰ-মন্ত্ৰীসহ ৰজা এদিন ফুৰিবলৈ যাওঁতে আলিৰ দাঁতিত আটোমটোকাৰিকৈ পতা এখন বাৰী দেখিবলৈ পালে। বাৰীখনৰ চাৰিওফালে পৰ্ব্বত যেন চাপ বা আঁটীয়া। তেনেকৈ পতা বাৰী ৰজাই আগতে দেখা নাছিল। তেওঁ খবৰ লৈ জানিব পাৰিলে যে বাৰীখন এজন গণক মানুহৰ আৰু সেইখন পাতিছে এটা দৰিদ্ৰ বন্দুৱাই। ৰজাই বন্দুৱাটোক মাতি আনি ৰাজসভাত পোনতে তামুলী লিগিৰা পতা এই যুৱকজনেই আছিল মোমাই তামুলী। আগতে তেওঁক মানুহে মাতিছিল মেমাই বুলি। ৰাজসভালৈ অহাৰ পিছত তেওঁ মেমাই গুচি মোমাই হ'ল। নিজৰ বুদ্ধি আৰু পটুতাৰ গুণত মোমাই অতি শীঘ্ৰে খোপত-খোপে উন্নতি কৰি গৈ শেষত ৰজাৰ মোহাত বৰা হৈ মোমাই তামুলী বৰবৰুৱাৰ খিতাপ পাইছিল। সেইবাবেই আজিও 'আমি অসমীয়া নহওঁ দুখীয়া—কিহৰ দুখীয়া হম', বুলি [illegible] কোৱা হয়—'ৰতন [illegible], বৰ হয়—তামুলী মোমাই [illegible]' এই বাৰী পতা মোমাই তামুলীৰ কথা আজিও মানুহৰ মুখে [illegible]—সাধু কথাৰ দৰে হৈ আছে।

তামোল খোৱা আৰু গীতত পদত [illegible] অসমীয়াৰ নিজা প্ৰথা। তামোল-পাণৰ সহায়ত গুণ-মন্ত্ৰ কৰাৰ কথা এতিয়াও অসমীয়া লোকে শুনিছে। বিশেষকৈ [illegible] কাহিনী [illegible] তামোল-পাণ [illegible] [illegible] [illegible] [illegible], [illegible] ইত্যাদি।

বিয়াত আজিকালিও কেঁচা তামোলৰ (ভকুণ) থোক আৰু গুছিওৱা পাণৰ মুঠা অতি প্ৰয়োজনীয় সামগ্ৰী। বিশেষকৈ তামোলৰ থোক সন্মানৰ লখল। তাহানি মহাৰাজ ভাস্কৰ বৰ্ম্মাই অন্যান্য বস্তুৰ লগত অসমৰ (তেতিয়াৰ কামৰূপৰ) হৰিৎ বৰণীয়া কেঁচা তামোলৰ থোক এটাও মহাৰাজ হৰ্ষবৰ্দ্ধনলৈ উপহাৰ পঠাইছিল বুলি জনা যায়। ইফালে আকৌ গুৱাক বা গুৱা (তামোল) শব্দৰ পৰাই গুৱাহাটী নামৰ উৎপত্তি বুলিও অনেকে বিশ্বাস কৰে। পুৰণি তামৰ ফলিতো প্ৰাগজ্যোতিষ নগৰৰ বৰ্ণনা দিয়াত কোৱা আছে যে সেই নগৰৰ তামোলৰ গছবোৰক পাণে আৰু কৃষ্ণ অগৰু গছবোৰক ইলাচি লতাই মেৰাই ধৰি আছিল।

এই গ'ল তামোল-পাণৰ কথা। অসমীয়া খেতিয়কে বাৰীখনত তামোল পাণত বাহিৰেও হবেক ৰকমৰ খেতি কৰিবলৈ লয়। আম, কঁঠাল, টেঙা, জৰা, লেটেকু, পনীয়ল, কল, নাৰিকল আদিয়ে অসমীয়াৰ বাৰীখন নদন-বদন কৰি ৰাখে।

বাৰীখনৰ এমূৰত এডৰা মাটিত মাহ, কপাহ, তিল, সৰিয়হ তিসিহ, বাঙী, লাউ, কোমোৰা, আলু, কচু, শাক আদি বতৰীয়া খেতি কৰা হয়। সৰিয়হ, মাহ, কুঁহিয়াৰ আদি বেছি পৰিমাণে খেতি কৰিবলৈ হলে তাৰ কাৰণে গুকান, মুকলি ঠাই বিচাৰি লৈ বেৰি-কুৰি লোৱা হয়। সেইবোৰ খেতি কেনেকৈ কৰিব লাগে সেই বিষয়েও ডাক পুৰুষে বিধি দি গৈছে—

ঘন সৰিয়হ, পাতল মাহ;
মুগৰ ভলত চলে হাহ;
আঁৰিবণ দি কৰা কপাহ।

অৰ্থাৎ সৰিয়হ সিচি বিয়াত দুৰকৈ সিচিব লাগে। মাহৰ গছবোৰ লতাৰ দৰে বিয়পি পৰে। গতিকে মাহ পাতল পাতলকৈ আৰু সৰিয়হ ঘনকৈ সিচিব লাগে। মাহ বোৱা সময় সম্বন্ধে কোৱা আছে—বোলে,

ভাদৰ চাৰি, আহিনৰ চাৰি;
মাহ কৰা বিয়ান পাৰি।

তাৰ মানে ভাদ মাহৰ শেষৰ চাৰি দিন আৰু আহিন মাহৰ প্ৰথমৰ চাৰি দিন, মুঠতে এই আঠ দিন মাহ সেৰিবলৈ কাৰণে প্ৰশস্ত কাল। এই কামৰ কাৰণে হাল উতাৰ লগে লগে তাৰথ মাজ মাহৰ পৰাই গাছ হব

লাগে। সেয়ে নহলে ধানৰ খেতি কৰোঁতে যদিহে কোৰ সোলখি থাকে আৰু তাক পুনঃ শালিবলৈ লাগে বিচাৰোঁতেই দিন যায় তেনেহলে নচলে। ধানৰ খেতি কৰোঁতে আলি দিওঁতে কোৰ মাৰিব লগা যদি প্ৰয়োজনীয় সঁজুলি মাহৰ খেতিৰ সময়তো মাটিৰ জঙ্গল গুচাবলৈ কোৰৰ তেনে আৱশ্যকতা আছে। সেই প্ৰয়োজনীয়তালৈ লক্ষ্য ৰাখি সময়ৰ পৰা হুচুকা লোকৰ প্ৰতি বিদ্ৰুপ কৰি কোৱা হয়—কোৰ শালোতেই মাহৰ বতৰ পাৰ হোৱা বুলি। কোনো কোনোৱে তাকেই ফাল কাচোঁতেই মাহৰ বতৰ যোৱা বুলিও কয়।

অকল ধানৰ কাৰণেই নহয়, অন্যান্য খেতিৰ বেলিকাও প্ৰকৃত খেতিয়কে শুভ দিন-বাৰ চাইহে খেতি আৰম্ভ কৰে। মাহ, সৰিহ আদি বৰলৈ শুভ তিথি-বাৰ কিছুমান ধৰি দিয়া আছে; কাৰণ সকলো কেইটা বাৰ আৰু তিথি সকলো খেতিৰ বাবে উৎকৃষ্ট নহয়। তেনেকৈ—

'শীত সৰিয়হ, মীত মাহ ;
শৰণত নাকাটিবা বাঁহ।

বা

শীত সৰিয়হ, মীত মাহ ,
শৰণত নাকাটিবা বেঁত বাঁহ।

ইয়াত 'শীত' মানে—একাদশী, দ্বাদশী, ত্ৰয়োদশী আৰু চতুৰ্দশী তিথিত। 'মী' মানে আকৌ ৫মী, ৭মী, ৯মী, আৰু দশমী তিথি। এই তিথিবোৰত মাহ ক'ব নাপায়। অসমীয়া খেতিয়কৰ আৰু এটা বদ্ধমূল ধাৰণা এই যে কৃষ্ণ পক্ষত সিঁচি দিয়া মাহ অথবা সৰিয়হ সহজে পোকে নষ্ট নকৰে। সেই হেতুকে কৃষ্ণ পক্ষ মাহ, সৰিয়হ আদি শস্যৰ গুটি সিঁচিবৰ কাৰণে উৎকৃষ্ট সময় বুলি গণ্য কৰা হয়। 'শৰণ' মানে শ্ৰৱণাৰপৰা ৰেৱতীলৈকে নক্ষত্ৰসমূহ, যেনে-শ্ৰৱণা, ধনিষ্ঠা, শতভিষা, পূৰ্বভাদ্ৰপদ, উত্তৰ ভাদ্ৰপদ আৰু ৰেৱতী; অৰ্থাৎ শ্ৰৱণা নক্ষত্ৰৰ আৰম্ভৰপৰা ৰেৱতী নক্ষত্ৰ শেষ নোহোৱালৈকে—এই ছয় দিনক শৰণ লগা বোলে। এই ছয়টি দিনত বাঁহ-বেত কাটিব নাপায়। কোনো কোনোৱে 'শৰণত নাকাটিবা বাঁহ, বা শৰণত নাকাটে বেত-বাঁহ' বুলি আৰু যোগত নাকাটিবা বাঁহ' বুলিও কয়। [illegible] হওক, প্ৰত্যেক কামৰ আৰম্ভণিতে যে তিথি, বাৰ নক্ষত্ৰ আদি কিছুমান ধৰি দিয়া আছে—[illegible] কথা।

এনেকৈ দিন-বাৰ চাই অতি যতনেৰে কৰা খেতিৰ মাহ যে লহপহীয়া হৈ পৰিব তাত কাৰো সন্দেহ নাই ; তেনে মাহ খেতিৰ-পথাৰত যেতিয়া পাক-নেদেখা-কৰি লাগি দোঁ খাই থাকে তেতিয়া তাক তুলি আনি খাবলৈ সংযমী মহন্ত লোকৰো মনে লৰুৱা-কাবলৈ ধৰে বুলি এটি বচনত কোৱা হয়, যেনে,

'মহন্তৰ চিন মাহনিত ;
বুঢ়া গৰুৰ চিন ঘাঁহনিত।'

কুঁহিয়াৰৰ খেতিও অসমীয়াৰ এটি প্ৰধান খেতি। ইয়াৰপৰা পোৱা গুৰ চেনিৰ সলনি ব্যৱহাৰ হয়। জুলীয়া গুৰক মঙ্গলদৈ অঞ্চলত চুৰা নামে জনা যায়। 'চুৰা' শব্দটো সম্ভৱ তৎভৱীয়া 'সুৰা' শব্দৰ অপভ্ৰংশ। জল-পানৰ লগত ইয়াক প্ৰচুৰভাৱে ব্যৱহাৰ কৰা হয়। মধু বা মৌৰ অভাৱে দেৱকাৰ্য্যত গুৰ দিয়া যায় বুলি ('মধ্বভাৱে গুৰং দদ্যাৎ' বুলি) কথা এবাৰ মানুহৰ মুখে মুখে চলি আছে।

কুঁহিয়াৰৰ খেতিৰ কাৰণে যথেষ্ট যত্ন আৰু কষ্ট কৰিব লাগে। সেই বাবেই কোৱা হয়—

ছয় পো ছয় নাতি
তেহে কৰিবা কুঁহিয়াৰৰ খেতি।

তাকেই আকৌ এইদৰেও কোৱা যায়—

লাত ভায়েক যাৰ,
কুঁহিয়াৰৰ খেতি তাৰ।—ইয়াৰ তাৎপৰ্য্য এই যে অকলশৰীয়া লোকৰ কাৰণে কুঁহিয়াৰৰ খেতি কৰা দুৰূহ কাম। বহুত পৰিয়াল থকা লোকেহে ইয়াৰ খেতি কৰিব পাৰে।

[illegible] ধানৰ তলতে মাহ, শৰিয়হ, কল, কুঁহিয়াৰ, নাৰিকল, তামোল, পাণ, কপাহ, মাটিকঁঠাল, মধুৰিআম আদিয়েই অসমীয়াৰ থাই খেতি। এইবোৰ খেতি কৰাৰ উপৰিও আলিৰ দাঁতিত, আম, কঁঠাল, বৰ, আহত, পাকৰী, জোপ [illegible] আদি গছৰ পুলি ৰোৱাটোকো অসমীয়া লোকে এটা ধৰ্ম্মকাৰ্য্য বুলি জানে। পুৰণি লোকসকলে [illegible] আলিৰ দাঁতিত গছ কই যে সেই গছবোৰক [illegible]

আৰু তেনেকৈ কেতিয়াবা যেতিয়াবা আলিৰ চোকত ওচৰা-উচৰিকৈ কেইবা-জোপাও গছ কই, সেই গছৰ ভিতৰতে বিয়া পাতি উৎসৱ উপভোগ কৰে। এই উপলক্ষে কিছুমান গছক স্বভাৱতে মতা আৰু কিছুমানক মাইকী বুলি ধৰা হয়। যেনে, বৰ গছৰ ডাল আৰু পাতবোৰো বৰ বৰ; গতিকে তাক মতা গছ বুলি ধৰি লোৱা হয়। পাক'ৰীৰ পাতবোৰ লাহী আৰু বতাহতে হালি-জালি থকা। আনকি বতাহ নাথাকিলেও পাক'ৰীৰ পাতে গা লৰচৰ কৰি লাহতী বাংচালী হৈ থাকে আৰু ভাগকলা লোকৰ গা শাঁত পেলায়। গতিকে পাক'ৰী মাইকী গছ। এনেকৈ গছৰ বিয়া পতা, তিনি বা চাৰি আলিৰ মূৰৰ চোকক সাধাৰণতে গছ-বিয়া-দিয়াৰ তল বা থল বা স্থল নামে অভিহিত কৰা হয়

গছ ৰোৱা আৰু পুখুৰী খন্দাৰ উপকাৰিতা আৰু ধৰ্ম্ম সম্পৰ্কে ডাক গুৰুৱে কয়—

যেবে স্বধৰ্ম্মক কৰিবা জানি,
পুখুৰী খান্দিয়া ৰাখিবা পানী।
বৃক্ষ ৰোপণত অধিক ধৰ্ম্ম,
মঠ-মণ্ডপ গুৰুৰ ন্দৰ্ম্ম।
যেই দিয়ে [illegible] পায়,
পৰ জন্মত সুখত থায়।

অসমীয়া খেতিয়কে যে দিনে-নিশাই হাড়-ভঙা পৰিশ্ৰম কৰি খেতিৰ উৎপন্ন লাভ কৰিছে সুখ লভে এনে নহয়, তাৰ ৰূপ আৰু শ্ৰী বিশ্লেষণ কৰিও আনন্দ পায়। 'কৃষি চিকুণ পৰৰ ; পো- চিকুণ ঘৰৰ',—এই বাণীত অসমীয়া খেতিয়কৰ মনোবৈজ্ঞানিক বিশ্লেষণৰ ক্ষমতাও ধৰা পৰিছে। 'লোকৰ ধন আৰু নিজৰ আয়ুস' সদায় বেছি দেখাৰ দৰে লোকৰ খেতি আৰু নিজৰ পুত্ৰকো সকলোৱে বেছি ভাল দেখে।

বাৰীখন সদায় গৃহস্থৰ ঘৰৰ উত্তৰফালে হোৱা উচিত। দক্ষিণ সদায় মুকলি ৰাখি, পূৰফালে পুখুৰী খান্দি, পছিমফালে (কিছু দূৰত) গৃহস্থৰ অতি লাগতিয়াল বস্তু বাঁহ কই ঘৰখন পাতিব লাগে। ডাকৰ মতে—

পূবে হাঁহ, পছিমে বাঁহ;
উত্তৰে গুৱা, দক্ষিণে ধুৱা।

বাঁহ গছক অকল প্ৰয়োজনীয় বুলিয়ে ধৰা নহয়, পৱিত্ৰ বুলিও গণ্য কৰা হয়। সেই দেখিয়ে দেহ-বিচাৰৰ গীততো আছে—

বাৰীৰে কোণৰে জাতি বাঁহ এজুপি
সেয়েহে সোদৰৰ ভাই;
জীয়াই থাকে মানে কৰে কাঠী-কামী
মৰিলে লগতে যায়;
দেহাৰ ভাবনা নাই।

বাঁহ গছক অগ্নিৰ প্ৰতিক বুলিও ধৰা হয়। অসমীয়া মানুহৰ সাধাৰণ বিশ্বাস এই যে বাঁহে-বাঁহে ঘঁহনি খাই হাবিত জুই উঠে, আৰু জুই পোনতে এইদৰেই আৱিষ্কাৰ হৈছিল। পুৰাণত কোৱা মতে মুৰলা নামৰ কন্যা এজনীৰ পৰাই বাঁহৰ পোনতে উৎপত্তি হয়। মুৰলা আছিল দুখীয়া বামুণৰ ছোৱালী। তাইক জোৰ কৰি শূদ্ৰত বিয়া দিয়া হৈছিল। তাই তেতিয়া সেই কথা জনা নাছিল। পিছত যেতিয়া তাই সেই কথা জানিব পাৰিলে তেতিয়া তাই মনৰ বেজাৰত মৰিবলৈ ওলাল। বিষ্ণু দেৱতাক আৰাধনা কৰি তাই চিতাত উঠিল আৰু প্ৰাণ এৰিলে। তাইৰ চিতাভস্মৰ পৰাই বাঁহ গছৰ জন্ম হ'ল। পোনতে সেই বাঁহ গছ দেখিবলৈ চুলি মেলি থকা বালিকাৰ দৰে আছিল। ছোৱালীজনীয়ে জীয়াই থকা কালত আঁউসী, একাদশী আদি তিথি বৰকৈ মানিছিল আৰু সেই তিথি-বোৰত উপবাসে থাকিছিল। সেইবাবে পিছতো সাত্বিক হিন্দুৱে এইবোৰ তিথিত আজিও বাঁহ নাকাটে বা কাটিব নিদিয়ে। এই বাঁহৰ আটাল পশ্চিমফালে বাৰীৰ পৰা কিছু দূৰত থাকিলে সি গিৰিহঁতৰ ঘৰবাৰী পছোৱা বতাহৰ পৰা ৰক্ষা কৰে।

ঘৰৰ পূবফাল সদায় খোলা থাকিব লাগে। পুৰণি [illegible] এয়া [illegible] ঢেঁকেলী গছ কেতিয়াও পূবে ৰুব নালাগে। পূবে ঢেঁকেলী আৰু পশ্চিমে ঔ ৰোৱা নহলি নিৰ্বংশ। [illegible] [illegible] গৃহস্থৰ কাৰণে ঢেঁকেলী আৰু [illegible] ঔ ৰোৱা [illegible] [illegible] বুলিছিল।

পূবে ঢেঁকেলী পশ্চিমে ঔ,
সেই ঘৰ [illegible] [illegible]
নাইয়া

আগফালে তেতেলী পাছফালে ঐ
সেইঘৰ গিৰী উঠিল নে নৌ

নাইবা

আগফালে তেঁতেলী পাছফালে ঐ
সেইঘৰ মানুহ মৰিল নে নৌ।

পদূলিৰ মুখত সিজু, আকণ, বাহক বা বাহকা, তুলসী আদি কৰ লাগে। আকণ থাকিলে জহনি বেমাৰ নহয় বুলি মানুহে কয়। জন-বিশ্বাস মতে বাৰীত খকণ গছ থাকিলে ঘৰখনত দন্দ-খৰিয়াল হৈ থাকে। বাৰীৰ ভিতৰত ওখ গছ ৰখা নহয়, কাৰণ ওখ গছ থাকিলে তাত শগুন পৰে আৰু শগুন, হুদু আদি পৰা অমঙ্গল-সূচক বুলি সকলোৰে ধাৰণা। তেনেকৈ পদূলি-মুখত মুঢ়া গছ থাকিবলৈ দিয়া নহয়, কাৰণ ঘৰৰপৰা ওলায়েই মুঢ়া গছ দেখা অমঙ্গলজনক। ডাকৰ মতে—

আটীয়াত কঁঠাল মাজত আম;
তেবে জানিবা বাৰীৰ কাম।
পূবে ভানু, পছিমে ছায়া;
উত্তৰে গুৱা, দক্ষিণে ধুৱা।

আৰু

দক্ষিণে ভুঁই, উত্তৰে বাৰী,
ফল কৰা শাৰী শাৰী।
মাজে মাজে চাছিবা তল;
তেহে পাইবা বাৰীৰ ফল।

বাৰীত আহত ৰুবন ছুকবা,
শগুন কাউৰ ভয় জানিবা।
চালত জিকা গছত পুই,
চোতালত উবহী ভাল ভুই।
ডাকৰ বচন জানিবা সাৰ,
মানিবা ডাক বাৰি বিচাৰ।

ঘৰ বন্ধা পৰ্ব্ব কওঁতে বাৰীখনৰ সম্পৰ্কত একে বিধৰ উপদেশকে দঢ়াই দঢ়াই কোৱা আছে ; যেনে—

সৰু সৰুকৈ বান্ধিবা ঘৰ ;
এটা নালাগে দহোটা কৰ।
আৰু তাৰ—
দক্ষিণে ভূঁই উত্তৰে বাৰী ;
আঁটায়া দিবা তিনি শাৰী।
ভলুকা ৰুইবা তুই কণি ; (কণি অৰ্থ কোণত)
মধ্যত তামোল ৰবা জানি।
ছয় হাতে তামোল তাতেই পাণ ;
আহাৰ মাহত ৰুইবা আন।
আম-কঁঠাল কাষত ৰুইবা,
বেত, সোকা কাষত দিবা
পছিমে তেঁতেলী পূবে বেল,
ঘৰত সোমাই নকৰা মেল।
পূবে মন্দিৰ পছিমে গ'লি ; (গোহালি)
উত্তৰে ভাণ্ডাৰ, দক্ষিণে ধ'লি (ধুৱলি)

ঘৰ কেনেকৈ সাজিব লাগে তাৰো বিশদ বিবৰণ দিয়া আছে। মুঠতে বাৰীখনৰ লগত ঘৰৰ সম্বন্ধ লগালগি। সকলোবোৰ ঘৰৰ ভিতৰত পূবা-পছিমাকৈ সজা ঘৰ বেছি স্বাস্থ্যকৰ। অন্ততঃ থকা ঘৰ সদায় পূবা-পছিমাকৈ সাজিব লাগে। অৰ্থাৎ দক্ষিণ-দুৱৰী হব লাগে। সেই বিষয়ে কোৱা আছে—

পূবা-পছিমাকৈ সাজিবা ঘৰ ;
অকাল মৃত্যুক নাহিকে ভৰ।
পূবে ভঁৰাল, পছিমে গৰাল ;
উত্তৰে চক, দক্ষিণে গৰু।
পশ্চিমে বাঁহ, পূবে বেত ;
উত্তৰে তামোল দক্ষিণে খেত।

বেতো গিৰিহঁতৰ এৱিধ অতি আৱশ্যকীয় বস্তু; সেইবুলি কিন্তু যেতিয়া উজ্জ্বল হৰলৈ দিলে সি সম্পদ নহৈ অস্বাস্থ্য আৰু আপদৰহে কাৰণ হব। এইদৰে বাৰী পাতি, খেতি কৰি, বছৰৰ বাৰ মাহত কি কি বস্তু জুতি লগাই খোৱা যায় তাৰ নিৰ্দ্দেশ দিয়া আছে—

জেঠত দৈ, আহাৰত খৈ (আখৈ);
শাওণত মৰাপাট খাবা গৈ।

ভাদত ওল, আহিনত কল;
কাতিৰ কচুত বাঢ়য় বল।

আঘোণ মাহত খাবা চৰাই,
পুহত পিঠা, মাঘত কৰাই।

ফাগুনত মধু, চৈতত ঔ, বহাগত বৰ;
ইয়াকে খালে পুৰুষৰ গুচে কৰ্ম্ম-জড়।

ইয়াত 'কৰ্ম্ম-জড়' মানে কৰ্ম্মৰ বাবে ওপজা জড়তা বা এলাহ। বস্তুৰ বস্তুবোৰ ওপৰত উল্লেখ কৰাৰ দৰে খাবলৈ পালে শৰীৰ সুস্থ থাকে আৰু মানুহৰ কৰ্ম্ম-পটুতা বাঢ়ে। বহুতে 'ধৰ্ম্ম জড়' নকৈ 'কৰ্ম্ম-জৰ, বা কামৰ হেতুকে ওপজা ব্যাধি বুলিও কব খোজে। প্ৰথমৰ অৰ্থটোহে পিছে বেছি খাপখোৱা।

জুতিৰ হাল, জুতিৰ ফাল

'যাৰ নাই গৰু, সি সবাতোকৈ সৰু'—এই কথা-আষাৰ কৃষকৰ মুখে মুখে। আৰ্থিক অৱস্থা বিচাৰৰ কাৰণেও ই এক প্ৰকাৰ বিচাৰৰ মাপকাঠি স্বৰূপ। আগৰ দিনত হিন্দু ভাৰতত দোষৰ দণ্ড বিহা হৈছিল প্ৰায়শ্চিত্তৰে, আৰু দোষৰ গুৰুত্ব অনুযায়ী প্ৰায়শ্চিত্ত নিৰূপিত হৈছিল ধেনুৰ দ্বাৰা ;- যেনে, তিনি ধেনু প্ৰায়শ্চিত্ত, পাঁচ ধেনু প্ৰায়শ্চিত্ত ইত্যাদি। আজি-কালিও গঞা হিন্দু সমাজৰ বিচাৰত এই নিয়মৰ প্ৰায়শ্চিত্তৰ বিধি চলি আছে। গৰুৱে সমাজত এনে এটি গুৰুত্ব লাভ কৰাৰ ঘাই কাৰণ এই যে গঞা ৰাইজ খেতিৰ ধান মুঠিৰ ওপৰতে নিৰ্ভৰ কৰি চলি থাকে, আৰু ধান উৎপাদনৰ জৰিতে হ'ল হালখন বা গৰু। হিন্দুসকলে সেই দেখিয়ে গৰুক দেৱতাৰ দৰে জ্ঞান কৰে। হিন্দুৰ কাৰণে গৰুৰ খিচ, গোবৰ আৰু গো-মূত্ৰও পবিত্ৰ বস্তু। সেইবাবে হিন্দু সমাজত গো-বধ, ব্ৰহ্ম-বধ আদিক সম-পৰ্য্যায়ৰ অপৰাধ বুলি গণ্য কৰা হৈ আহিছে। গো-মূত্ৰ চিয়াহী তৈয়াৰ কৰাত গাঁও-ভূঁইত আজিও ব্যৱহাৰ হয়। গৰুৰ গোবৰো খেতিৰ বাবে প্ৰয়োজনীয় সাৰ। হাল, গৰু আৰু হালোৱাৰ কথা, সেই হেতুকেই হৰলা অসমীয়া মাত-কথাত সঘনে ব্যৱহাৰ হোৱা পোৱা যায়। তেনে কিছুমান বচনৰ নমুনা যেনে,

নিপাটীয়াই আগে শোৱে ;
হাল-গৰু নোহোৱাই আগে খোৱে।
আগৰ হাল যেনি যায়, পাছৰ হালো তেনি যায়।
হালত নোৱাৰি হালুৱৈক হিনকা।
এখন হাল সুতুৰ-পুতুৰ, দুখন হাল জুতি,
তিনিখন হালৰ সবায় এখন খতি।

জুতিৰ হাল, জুতিৰ ফাল ;
জুতিৰে যাবা সৰ্ব্বতি কাল।

বামুণৰ হাল শুদিৰে বায় ;
তাৰ কি আগ গুৰি চায় ?
বুঢ়াই ডেকাই দুহাল বাবা,
তপতে পইতাই দুসাজি খাবা।
হাল বায় ৰাতিৰপৰা
ভাতে নাটে কাতিৰপৰা।
হালতকৈ কোৰত টান,
তেও নহয় মোৰ বাহী বনৰ মান।
যাৰ থাকে মৈ-গৰু,
তাৰ কথাত হবা সৰু,
যদি সৰু নহৈ হোৱা ঠাকুৰ,
লোকে বুলিব নিলাজ কুকুৰ। ইত্যাদি

গাঁৱত সাত হাল বোৱা আৰু সাত ভাই-ককাই থকা পৰিয়ালকে ডাঙৰ গিৰী বুলি গণ্য কৰা হয়। কথাতে কোৱা যায়—

'সাত হাল সাত ভাখেৰী,
তাকে বোলে ডাঙৰ গিৰী।

ঠাট্টাৰ সুৰত তাকেই আকৌ ঘূৰাই কোৱা হয়—

ৰাতি জুহালত সাত হাল বোৱা :
পুৱা শেতেলিত দুপৰলৈ শোৱা।

অনেক বচনৰপৰা বুজা যায় যে দুখন হাল বোৱা বৰ সুখৰ কথা। গাঁৱত দুখন হাল বোৱা জনকে পেটে-ভাতে খোৱা যোত্ৰৱান লোক বুলি ধৰা হয়। তেঁৱেই গাঁৱৰ চহকী মানুহ। তেনে দুখন হাল বোৱা জোঁৱাই লোৱা এটাৰ বিষয়ে ধেমেলীয়া গল্প এটা আছে। বিয়াৰ কাৰণে ছোৱালী বিচাৰিবলৈ নিজে গৈ এটা খিতিঙা ডেকাই শহুৰেকক কৈছিল—'মোৰ গোৰা-গোঠী ভাল। মোৰ পিতৃ-পিতামহৰ দিনৰ ঘৰৰ কমাৰোৰ হাতীৰ দাঁতৰ। আজিও বৰষুণ পৰিলে সেইবোৰ জিলিকি উঠে। হালো মোৰ দুখনেই, কিন্তু মাত্ৰ তিনিটা গৰুৰ অভাৱত এতিয়া দুখনকৈ বোৱা নাই। এনে স্থলত আপুনি বাৰু মোক ছোৱালী নিদিব জানো?' তাকে এটি বচনৰ যোগেদি কোৱা হয়—

'হাতো-দাঁতৰ কৰা ;
ৰ'দ জিলিকে পুৰা,
দুহাল বাবলৈ তিনিটা লাগে,
তাকে দেখি শহুৰ পিছে
ছোৱালী দিয়া নে নিদিয়া ?

ইয়াত আচলতে 'হাতো-দাঁতৰ কৰা' মানে ঘৰাপাটৰ গুকান বগা ঠাবিৰ কৰা ; তাৰ ওপৰত ৰ'দ পৰিলে বাহিৰখন তো জিলিকি পৰেই, ভিতৰলৈ তাৰ বেঙনি (বেৰা) যায়। গৰু দুহাল হ'বলৈ তিনিটা মাত্ৰ লাগে, অৰ্থাৎ এটা মাত্ৰ গৰু আছে। আচলতে অৱস্থা শোচনীয়, কিন্তু তাকেই শোভনীয় কৰি কোৱা হৈছে।

কৃষি কৰিবলৈ হলে প্ৰথম কথা হ'ল হালখন। হালৰ গৰু ভাল হব লাগে।

কিৰিষিত যদি কৰিবা মন ;
হাল-গৰু ৰাখি কৰা যতন।

হালৰ গৰু কেনে হব লাগে তাৰো বিতং বিবৰণ ডাকে দি গৈছে। সেই মতে হালৰ গৰু সদায় সমান হব লাগে। এখন তালৰ পেটত আন এখন সোমাই পৰাৰ দৰে হালৰ গৰু হ'ল অসমান হলে হাল বোৱাত জুতি পোৱা নাযায়। ডাকৰ বচন মতে—

তাল যুৰীয়াক বায় হাল,
ভাতে নাটে সৰ্ব্বতি কাল।
ক'লীয়া বলধ যতনে ঘুৰি ;
নুযুৰিবা থোৱা দুই দামুৰী।

দুই দাঁতৰ গৰুক দামুৰি বুলিয়ে ধৰা হয় ; বজনাই ললেও সি বয়সৰ পিনেৰি দামুৰি হৈয়ে থাকে ; হালৰ উপযোগী নহয়। কিনিব্লৈ হলে চাৰি দাঁতৰ বা ছয় দাঁতৰ গৰুহে কিনা উচিত। তাকে কৰিলে তাক খিকাই-বুজাই লব পাৰি। বন-নিশিকোৱা 'অবাইচা' গৰুৰে হাল বাবলৈ গলে কষ্ট মাত্ৰ সাৰ হয়। তাকে কোৱা হয়— ;

অবাইচা গৰুক যুৰি বায় হাল ;
নষ্ট কৰে নাঙল-যুৱলি, নষ্ট কৰে কাল।

বুঢ়া শালিকাই মাত নোলোৱাৰ দৰে বুঢ়া গৰুৱেও বন নিশিকে। তাৰ উপৰিও বুঢ়া গৰু কিমান দিন টিকে বুজা টান। কথাতে কয়, বোলে—

যাৰ নাই ঋণ,
বুঢ়া গৰু কিন।

হৰিণৰ দৰে কাণ আৰু জিভা হলে তাক সুলক্ষণীয়া গৰু বুলি ধৰা হয়। ছয় দাঁতৰ গৰু হালৰ কাৰণে প্ৰশস্ত, কাৰণ সেই বয়সত সি হালৰ সম্পূৰ্ণ উপযোগী হয়। সিও হব লাগে টিকা-শকত বলী ধৰণৰ। সেইবাবে কোৱা আছে, বোলে—

টিক্ বলধা ওলাই মাটি;
মাৰু ভালেহে জীয়েক জাতি।

আকৌ গৰু কিনিবৰ হলে ওচৰৰপৰা কিনাই ভাল; কিয়নো ওচৰৰ গৰুৰ বিষয়ে খা-খবৰ কৰিলে সকলো কথা জনা যায়। ওচৰৰ গৰু আৰু ওচৰৰ ভুঁই সমানে আদৰণীয়। দুয়োকে আগ্ৰহেৰে লব লাগে। দূৰৰ গৰু কিনিবলগীয়া হলেও ভালকৈ খা-খবৰ কৰি ইতিবৃত্ত জানি লৈহে তাক কিনা উচিত। সাধাৰণতে ধোবা, তেলীয়া আদি লোকৰপৰা গৰুৰ বিষয়ে খবৰ লব লাগে। কিয়নো মানুহৰ ঘৰে ঘৰে ফুৰোঁতে তেওঁলোকে গৰুৰ প্ৰকৃতি বা লয়-লক্ষণ সম্পৰ্কে জানিবলৈ সুযোগ পায়।

গৰু কিনিবা চিকণ জালি,
দুই-চাৰি-ছয় দন্তীয়া ভালি।
হৰিণৰ সমান জিহ্বা কাণ,
সেই বলধিক বিচাৰি আন।

বলধ কিনিবা বল বুজিয়া;
বাছিয়া সুধিয়া ধোবা তেলীয়া।
চাৰিয়ে ছোটা, ছয়ে মোটা,
বিচাৰি কিনিবা বলধি গোটা।

[illegible]
[illegible]

গ্ৰামৰ বলধি নিকটৰ ভুঁই,
ইহাক নেৰিবা জানশ্চা হুহ।

তেনেকৈ আকৌ বিছা-নেজীঃ বগা বৰণৰ হৃষ্ট-পুষ্ট গৰু সদায় সৰ্ব্বতো-প্ৰকাৰে মঙ্গলকৰ। চুটি ডিঙিৰ টকলা নেজীয়া গৰু বৰ দুষ্ট বুলি জনা যায়। আকৌ নেজৰ আগটো বগা, চুট কঁলা, কপালত ফোঁট থকা গৰু সৰ্ব্ব সুলক্ষণীয়া বুলি গণ্য কৰা হয়। মৈত যুৰি মানুহ উঠিলে যদি ফেঁটা নহয় তেনেহ'লেও সেই গৰুৰ লক্ষণ ভাল বুলি জানিব লাগে।

বিছা-নেজীয়া ক'লীয়া চুটা, (ক'লীয়া-চুটা—চুট ক'লা)
কিনিবা বিচাৰি তেনে গোটা।
টকা নেজ ঠুটৰা চুটি;
সেইটো জানিবা গ'ৰীয়াগুটি। (গ'ৰীয়াগুটি—দগধা, দুষ্ট)
নেজ শখা, কপাল ফোটা,
কিনি আনিবা সেই গোটা।
গৰু কিনিবা দীঘল নেজা,
মৈত উঠিলে নহয় কুঁজা।

গাখীৰৰ বাবে গাই কিনিবলৈ হলে বিশেষকৈ মন কৰিব লাগে যাতে গাইজনী ঘাহ-বছা বিধৰ নহয়, ঘাঘ নবছা গাই, সিও হব লাগে সুক-মুৰা, পাছ-ডাঙৰ বিধৰ; অৰ্থাৎ যেন গাখীৰৰ ভৰত পাছ ফাল ফেৰেকা হৈ থাকে। বাউমুৰা গাইক অলক্ষ্মী বা কুলক্ষণীয়া বুলি ধৰা হয়।

ভুজাক বাছিয়া কিনিবা গাই;
সকমুৰা পাছ-ডাঙৰ চাই।
হৃষ্টপুষ্ট যদি হয় মুৰ;
বাউমুৰাক কৰিবা দূৰ।
সব কীৰাৰে প্ৰিয়ে পানী;
গোমচকৰীক ঘৰলৈ নানি।

বৰণৰ ফালেদিও ক'লা বা কপিলী গায়ে ব্যেছি গাখীৰ দিয়ে বুলি সকলোৰে ধাৰণা। কপিলী গাইক তাহানিৰ কামধেনুৰ বংশৰ বুলি ব্যাখ্যা দিয়া হয়। সাধাৰণতে কপিলী গাইৰ গাখীৰ ঘন। কামধেনুৰ বংশৰ হোৱা বাবেই তেনে বুলি কোৱা [illegible] কপিলী গাইৰ গাখীৰ খুৱিলে খাৰ্ব ৰোগাৰ বুলি বচন একোষাৰো [illegible] আছে। কপিলী গাই বাকুৰক

পান কৰা উচিত বুলি অনেকে বিধি দিয়ে। এইবোৰৰ অন্তৰালে কৃষি শস্তিকাত আজি বিজ্ঞানসম্মত অৰ্থ একো বিচাৰি পোৱা নাযায়। ই জোলোৰা স্বাৰ্থ-পৰ ধূৰ্ত্ত লোকৰ চলাহী ব্যাখ্যা বুলি আজিকালি তালৈ কোনেও কৰ্ণপাত নকৰে। সংস্কৃত শাস্ত্ৰতো আছে—'গবাং কৃষ্ণা বহুক্ষীৰা' অৰ্থাৎ গৰুৰ ভিতৰত ক'লী গায়ে বেছি গাখীৰ দিয়ে। বলধৰে হওক বা গাইৰে হওক—বগা বৰণটো কিন্তু দুয়ো ক্ষেত্ৰতে শুভ বুলি ধৰা হয়।

গৰু কিনিবা নিখুঁত বগা,
ডাকে বোলে মই হলো নগা।

কেনে গৰুৰে হালবোৱা নিষেধ, কেনে গৰুৱে গিৰিহঁতৰ অমঙ্গল সূচনা কৰে, হাল বাই থাকোঁতে নাঙল ভাগি গলে কি হয়, ফাল উফৰি গলে কেনে, জোঁট ছিগিলে কি ফলে—এইবোৰৰ বিষয়েও ডাকে বচন বান্ধি দি থৈ গৈছে। নমস্তজনক প্ৰহাৰ কৰা, অখাদ্য ভোজন কৰা, অগম্য গমন কৰা আদিত যিদৰে বিধি চোৰাই সমাজ ব্যৱস্থা মানি লোৱা হয়, ঠিক সেইদৰে কৃষি কৰ্মৰ ক্ষেত্ৰতো ওপৰত কোৱাৰ দৰে অঘটন ঘটিলে ডাকৰ বচনৰ সহায় লৈ ভৱিষ্যতৰ বাবে সাৱধান হোৱা যায়। ডাকে কৈছে—

শিং ভগাক মুযুৰি হালে,
ৰঙা বৰণীয়াক জুৰিও ভালে।
ক'লা বলধক যতনে যুৰি,
বান্ধিব নেজ যত্নে সাঙুৰি।
যদি হালত হয় নাঙল ভঙ্গ,
বছৰেক তাৰ নিশ্চিতে দণ্ড।
হালৰ গোৰে যদি জোঁত ছিগে,
গৃহস্থক বোগে সঘনে পীড়ে।

বছৰৰ কোন তিথি-বাৰত পোনপ্ৰথমে হাল জুৰিব লাগে আৰু কিদৰে আৰম্ভ কৰিব লাগে তাৰ ইঙ্গিত এইদৰে দিয়া আছে—

দ্বিতীয়া, সপ্তমী, পঞ্চমী স্তুত,
ত্ৰয়োদশী একাদশ দ্বিবিধ।
সিংহ, মীন, মিথুন, কন্যা,
বৃষ, বৃশ্চিক, তুলা ধন্যা।

শোভন তিথি লগ্ন শোভন;
কালৰ আগত দি কাঞ্চন।
গুৰু শুক্ৰ চন্দ্ৰ বাৰ
গুৰুক চিন্তি যুৰিবা হাল।
আৰু দেখিবা যুৱলি চাই
পঞ্চৰেখা আগ কৰিব যায়।
শুভ শুভ বুলি যুৰিব হাল,
ৰাজা-ৰাইজৰ হইব ভাল।

আঁউসী, একাদশী, পূৰ্ণিমা, সংক্ৰান্তি আদি তিথিবোৰ প্ৰায় সকলো অসমীয়া খেতিয়কে মানে। সংক্ৰান্তি, একাদশী নামানিলেও আঁউসা-পূৰ্ণিমা মানে আৰু হাল নাবায়। যি লোকে তিথি বাৰ নাজানে অৰ্থাৎ কোন দিনা কি তিথি তাৰ খবৰ নাপায় সি পথাৰলৈ ওলাই গৈ পথাৰত আন কোনোবাই হাল বাইছেনে নাই চাই লয় আৰু পথাৰত হাল নেদেখিলে নিজেও হাল নাবায়। তাকে কয়—

গছত উঠি চাবা,
আনে বালে বাবা। কিয়নো ডাক পুৰুষে কৈছে -
অমা-পূৰ্ণিমাত বায় হাল,
ভাতে নাটে সৰ্ব্বতি কাল।

সাধাৰণতে গৰু প্ৰায় ২০।২৫ বছৰ জীয়াই থাকে। মানুহৰ মুখে মুখে চলি থকা এটা বচন মতে মানুহ-আৰু হাতী দুয়োৰে আয়ুস সমান। বত্ৰিছ বছৰ জীয়াই থাকে ঘোঁৰা। গৰুৰ আয়ুস কম-বেছি প্ৰায় চব্বিশ বছৰ আৰু ছাগলীৰ ষোল বছৰ।

নৰ-গজ বিশ ছয়;
বছৰ বত্ৰিশ ঘোৰা বয়।
চব্বিশ বৰ্লধা, ষোল ছাগল;
পঢ়ি জনি ৰবাহ পাগল।

এই পঢ়ি জনি ৰবাহ 'পাগল' 'বোলা' কথাটো গাঁৱৰ যেন সকলো লোকৰ মুখে মুখে আছে। বয়ত পঢ়ি-জনি উঠি পৰিত ৰবাহ থিহিবেও

ভূল কৰিছিল—এই অৰ্থত জানি শুনিও কোনোবাই ভুল কৰিব খুজিলে এই বচন প্ৰয়োগ কৰা হয়। 'বিশ-ছয়' অৰ্থ ছকুৰি বছৰ।

গৰুৱে বাৰিষাৰ বোকা-পানী বা পোত-গেৰেকনিলৈও ভয় নকৰে। বাৰিষাৰ ধাৰাষাৰ বৰষুণ কেতিয়াবা পথাৰত সিহঁতৰ পিঠিতে যায়; তথাপি ভ্ৰূভঙ্গ নাই। কিন্তু, কাতি-সঁতা অৰ্থাৎ কাতিমহীয়া লেখেৰি নিছিগাকৈ দিয়া বৰষুণ বুঢ়া গৰুৰ কাৰণে যমৰ সদৃশ হয়। বুঢ়া গৰুবোৰ সেই সময়তে বেছিকৈ মৰে। ইয়াকে লৈ বুঢ়া গৰু আৰু শগুনৰ মাজত হেনো ঠট্টা-বিদ্ৰূপ তৰ্ক-বিতৰ্ক হয়। শগুনে বুঢ়া গৰুৰ খবৰ লৈ থাকে—বুঢ়া বন্ধু সিপুৰীলৈ কেতিয়া যায়। কাৰণ, গলেই তাৰ ভোজ ওলাব। অকল ভাবি থাকিয়ে নেৰে। যেতিয়া নেৰানেপেৰা কাতি-সঁতাত কঁাথিৰ কুকুৰ লৰিব নোৱৰা হয় তেতিয়া শিমলুৰ আগৰপৰা শগুন-বন্ধুই বুঢ়া হালোৱাক হেনো বিঙিয়াই কয়—'হেৰা আধামৰা বুঢ়া আতা, এইবাৰ ক'লৈ যাবা? বুঢ়াৰ হাতত চেঙেলী পৰিছা। এইবাৰ তোমাৰ ৰক্ষা নাই।' উত্তৰত প্ৰমাদ গণি বুঢ়া গৰুৱে নীৰৱ হৈ শুনি থাকে, চুপ কৰি সহি থাকে।

সহিলে আপদ যায়,
নসহিলে দুখ—ভাঁৰ।

আকৌ যেতিয়া মাঘৰ দিন গৈ ফাগুন পায়হি তেতিয়া মুকলি পথাৰৰ নতুন ঘাঁহ খাবলৈ পাই গা টঙাই উঠা বুঢ়া হালোৱাই হেনো শগুনক ইতিকিং কৰি কয়—'খাও খাওঁকৈ জিভাৰ পানী পেলাই অছিলি নহয়, বুঢ়া শগুন! এতিয়া আৰু কি খাবি? মোৰ গোবৰ? এফাকি বচনত তাকে এইদৰে কোৱা হয়—

আহিন গৈ পৰিল কাতি,
ক'লৈ যাবি বুঢ়া আতি?
মাঘ গৈ পৰিল ফাগুন,
গোবৰ সোপা খাহি বুঢ়া শগুন।

গৰু আৰু ম'হ বুঢ়া হোৱাটো শিং দেখি, নাইবা দাঁত গণি চাই বুজা যায়। গৰুৰ কোনোবাওটীয়াতে দাঁতৰ অন্ত পৰে। শিং সম্পৰ্কে এফাকি বচনত কোৱা হয়—

ঘৰ বুঢ়া হয় চুকৰপৰা,
নগা বুঢ় হয় টিকাৰপৰা।
নাও বুঢ় হয় টিঙৰপৰা,
মানুহ বুঢ়া হয় শিৰৰপৰা।

খীৰতী গাই লাগী ঘৈণীৰ দৰে গিৰিহঁতৰ অতি মৰমৰ বস্তু। কথাতে কোৱা হয় বোলে, খীৰতী গাইৰ লাঠি খোৱাতো সাৰ্থকতা আছে; কিন্তু নেজ-গুৰৰীয়া গাইক হলে সকলোৱে খেদি পঠিয়ায়। তেনে গাই গোহালিৰ নেওচন আৰু গিৰিহঁতৰো আপদ। তাকে বচন প্ৰকাশিত কোৱা হয়—

ভাইৰ শত্ৰু বেলগতি ভাই,
গোহালিৰ শত্ৰু নেজ-গুৰৰীয়া গাই।
বাটৰ শত্ৰু কঁহ বাঁহ,
চোতালৰ শত্ৰু পাতি-হাঁহ।

স্বাৰ্থপৰ দুনিয়াত সকলো কিন্তু স্বাৰ্থপৰ। মাকৰ মৰম আৰু পত্নীৰ মৰমৰ পাৰ্থক্য দেখুৱাবলৈ যে পত্নীৰ মৰমতো কেনেকৈ স্বাৰ্থ সোমাই থাকে তাকে দেখুৱাবলৈ কোৱা হয়—বোলে, মাকে চায় মুখলৈ, তিৰোতাই চায় হাতলৈ; অৰ্থাৎ হাতত কি আনিছে তালৈ। খীৰতী গাইৰ আদৰৰ লগতো তাইৰ গাখীৰ টোপাৰ স্বাৰ্থ সোমাই থাকে গায়ে পিয়ন ছাৰিলে বা বখিনা হলে সেই গাইক গিৰিহঁতে আদৰ কৰিবলৈ এৰে। তেনে পিয়ন-ছাৰা আদৰ নোপোৱা গাইৰ খেদ বৰ্ণাবলৈ কোৱা হয়—

আগতে আছিলোঁ যোৱনী-মোৱনী
গোৱালে বুলিছিল আই
এতিয়া হলোঁ নেজ-গুৰৰীয়া,
আকতো নিদিয়ে ঠাই।'

কামধেনু বা সুৰভিৰ কথা আজিও মানুহে কয়। এই কামধেনুৱে হেনো যেয়ে যি খোজে তাকে দিব পাৰিছিল আৰু পোৱালি নোহোৱাকৈ সদায় গাখীৰ দিছিল। এই কামধেনু পোনতে আছিল বশিষ্ঠ মুনিৰ আশ্ৰমত। ঋষি বিশ্বামিত্ৰ তেতিয়া আছিল এজন পৰাক্ৰমী ৰজা। কামধেনুৰ অদ্ভুত লীলা দেখি তেওঁ জোৰ কৰি বশিষ্ঠৰ হাতৰপৰা কামধেনুক লৈ যাব খুজিছিল। তাতে কামধেনুৱে জোৰেৰে তিনিটা হেম্বেলি [illegible] [illegible]

সৈন্য গুলাই বিশ্বামিত্ৰৰ সৈন্য-সামন্ত সকলোকে কাটি নিপাত কৰিছিল। তপোবলৰ মহিমা দেখি তেতিয়া ৰজা বিশ্বামিত্ৰ বিস্মিত হয় আৰু নিজেও তপস্যা কৰিবলৈ লাগি যায়। কামধেনু হেনো অমৰ আছিল আৰু সেই কামধেনুৰে নেজ মাৰিলেই আজিও আকাশত থকাং বক্তবতো বিজুলী চমকে বুলি গঞা লোকৰ ধাৰণা। পৰিষ্কাৰ আকাশতো সন্ধিয়া দিগন্তত পিৰিক্-পাৰাকৈ বিজুলীয়ালে কামধেনু বা কপিলা গায়ে নেজ মৰা বুলি কোৱা হয়।

গাই গৰুৰ ভিতৰতো মুগী গাইক বেছি ধুনীয়া বুলি ধৰা হয়। কি কি বস্তু চিকণ আৰু কাৰ সৌন্দৰ্য্য কত ধৰা পৰে সেই সম্পৰ্কে চিকণ পৰ্ব্ব মেলি বুঢ়া লোকে কয়—

গোৱালীৰ চিকণ যুগী (যোগী)	গাইৰ চিকণ মুগী।
দালিৰ চিকণ মাটি,	শয়নৰ চিকন পাটী।
সম্বন্ধৰ চিকণ বৌ,	মাছৰ চিকণ বৌ।
টেঙাৰ চিকণ ঔ	বাচনৰ চিকণ টৌ।
শাকৰ চিকণ লাই,	মুদ্ৰাৰ চিকণ পাই।
জলাৰ চিকণ আদা,	চেনেহৰ চিকণ দাদা।
কথাৰ চিকণ ৰস,	চাকৰৰ চিকণ বশ।
ফলৰ চিকণ কল,	হোকাৰ চিকণ নল।
মুখৰ চিকণ গুৱা,	টোপনিৰ চিকণ পুৱা।
কটাৰী চিকণ শিলে,	তিৰী চিকণ কিলে।
পানীৰ চিকণ পানী পকৰা,	মাছৰ চিকণ মোৱা;
বিয়াৰ চিকণ বৰ-কইনা,	হোমৰ চিকণ ধোঁৱা।

খেতি কৰোঁতে আধি থোৱা, মৰকীয়া হাল বোৱা, বন্ধা থকা আদি কাম অসমীয়া লোকে ঘিণায় আৰু পৰাপক্ষত নকৰে। তাকে লক্ষ্য কৰিও এফাকি বচন মতা হয়, বোলে—

আধিয়া খেতি মৰকীয়া হাল,
কৰাতকৈ খেতি নকৰাই ভাল।

এনে কাৰ্য্যত হালোৱা আৰু গিৰিহঁত দুয়োৰে যথেষ্ট ক্ষতি আছে। মৰকীয়া হালত হালোৱাই গিৰিহঁতৰ গৰুলৈ মমত-ঢৰৰ নাৰাখে। তেতিয়া

গৰু মৰিবলগীয়া হয় গৈ। তাকে বিদ্ৰূপৰ ছলেৰে বুঢ়া লোকে কয়—

হাল মৰকীয়া, ফাল মৰকীয়া, বিধান মৰকীয়া পৰৰ;
বুঢ়া নাঙলখন খুজি আনিছোঁ—ডলিবাৰাটোহে ঘৰৰ।

গৰুৰ বয়স নিৰ্ণয় কৰা হয় তাৰ দাঁত চাই। প্ৰথমে দুই দাঁত, তাৰ পিছত চাৰি, ছয়, এনেকৈ ২।৪।৬, বিয়াৰ, খুৰধাৰ, ভচোপাত, নামচোপাত লাউগুটীয়া আৰু শেহত কোমোৰাগুটীয়া হয়। দাঁত কোমোৰাগুটীয়া হলে গৰু আৰু জীয়াই নাথাকে। বিয়াৰ বা খুৰধাৰত গৰু ভৰ বয়সত উঠে। চাৰি দাঁত বা ছয় দাঁত হোৱাতেই গৰুক বন (হাল) শিকাব লাগে। হাল বোৱাতো এচাহ বাই উঠি তাকে কটাকৈ আৰু এচাহ বালে তাক 'সমৰ' বোৱা বোলে। সমৰ বাই মৈয়ালে সাধাৰণতে মাটি খেতিৰ উপযোগী হয়।

—

ডাকৰ বচনত বতৰ আৰু বাৰিষা

অসময়ৰ খেতি বতৰৰ দান। 'বতৰ' শব্দই আকাশৰ অৱস্থা অথবা খেতি-বাতিৰ উপযুক্ত সময় বুজায়। বতৰ কথকাল বুলিলে আকাশৰ অৱস্থাকে বুজা যাব; কিন্তু 'পকা আমৰ বতৰত কুঁজা মহা' বুলিলে আম পকা সময়ৰ বিশেষ ঘটনা এটা বুজা যায়। অন্য সময়ত কুঁজাক সকলোৱে কুঁজা বুলিয়ে মাতে, আনকি চেংেলীয়া ল'ৰাটোৱেও তেওঁক দেখি 'ঐ কুঁজা' বুলি মাতিহে আমোদ পায়। কিন্তু কুঁজাৰ বাৰীত থকা আমবোৰ যেতিয়া সেন্দুৰীয়া হৈ পকিবলৈ ধৰে তেওঁক তেতিয়া ল'ৰা-বুঢ়া সকলোৱে 'কুঁজা মহা' বুলি সম্বন্ধ ধৰিহে সম্বোধন কৰে। তাকেই কথাতে কয়—দিব-থব পাৰিলেই হয় ময়নামতী আৰু দিব-থব নোৱাৰিলেই হয় দয়াবখাতী। ওপৰৰ ঘটনাটোত পকা আমৰ বতৰ বোলোতে আম পকা বিশেষ সময় ডোখৰৰ কথা বুজোৱা হৈছে। আলোচ্য প্ৰসঙ্গত আমি আকাশৰ অৱস্থা বা ৰ'দ-বৰষুণ সম্পৰ্কীয় বতৰ সম্বন্ধেহে আলোচনা কৰিম, তাকো ডাকৰ বচনৰ আলমত।

অসময়ৰ খেতি যাইকৈ বতৰৰ দান। বতৰ ভাল হলেই খেতিও ভাল হয় আৰু বতৰ বেয়া হলেই খেতিৰ ফালেও আধ্যা পৰে। ডাক পুৰুষে কৈছে—

কি কৰিব চাহ-চালনা;
যদি কৰে বতৰ ফেৰা।
ৰ'দ বৰষুণ সমানে যায়;
তেবেসে কৃষিৰ লাভক পায়।

অতিবৃষ্টি আৰু অনাবৃষ্টি দুয়োটাই খেতিৰ অনিষ্টকৰ। সেই বাবে খেতিৰ বাৰত একেবাৰেহে অনেক দিন বৰষুণ নহলে বা কমকৈ চেকী চুইকৰি কি পথাৰৰ মাজত শলোটাই পুতি, ভেকুলীৰ বিয়া পাতি, ওৰে নিশা কটি গোৱা, উজাকৰ গানি, পানী খেলা। অকাল অঞ্চলত কেপা-বহা-ডিঙৰা আদি

মাছধৰা সজুলিবোৰ পাতি আৰু দেশৰ দস্তুৰ মতে আৰু অনেক প্ৰকাৰ অনুষ্ঠান পাতি বৰষুণ নমাবলৈ যত্ন কৰে। সেইদৰে একেবাৰে অনেক দিন বৰষুণ হবলৈ ধৰিলেও আকৌ নাম কীৰ্ত্তন পাতি, পালনাম ধৰি, দেৱতালৈ ঘিউৰ শলা আগ বঢ়াই, কল গছত শলা মাৰি থৈ আদি নানা প্ৰকাৰে বৰষুণ বন্ধ কৰিবলৈ যত্ন কৰা দেখা যায়।

এইবোৰ আনুষ্ঠানিক কাৰ্য্য লোকাচাৰৰ ওপৰত নিৰ্ভৰ কৰি চলি আছে। ইবোৰৰ উপৰিও অসমীয়া খেতিয়কে প্ৰকৃতিৰ কিছমান কাৰ্য্য আৰু পৰিবৰ্ত্তন নিৰীক্ষণ কৰি বতৰ আৰু বৰষুণৰ অৱস্থা আৰু ফলাফল নিৰ্ণয় কৰে। জীৱনৰ অভিজ্ঞতাই দান কৰা এই অমূল্য জ্ঞানবোৰ নীতি বচনৰ মাজেদি সমাজত চলি আছে।

দক্ষিণে গাজে থৰলৈ

বুঢ়াই বিয়া কৰায় শৰলৈ। —কথাষাৰ শুনাত অলপ যেন কেনেবা কেনেবা লাগে। কিন্তু গাঁও-ভূঁইত ই ডেকা-বুঢ়া সকলোৰে মুখত সমানে চলি আছে। ব্ৰহ্মপুত্ৰ উপত্যকাত থকা ল'ৰা-বুঢ়া সকলোৱে জানে যে মেঘে দক্ষিণে গাজিলে বৰষুণ নহয়; উত্তৰ বা পশ্চিমে গাজিলে বৰষুণ হয় আৰু উত্তৰ-পশ্চিম দিশত গাজিলে অতি শীঘ্ৰে বৰষুণ হয়। এই সিদ্ধান্ত আৰু ওপৰৰ বচন কিন্তু ছিলঙত নাখাটে। তাত আকৌ দক্ষিণৰ পৰা ওলোৱাই আহিলে বা মেঘে দক্ষিণ ফালে গাজিলে বৰষুণ হয় আৰু সিও অবিলম্বে হয়। বুঢ়াৰ বিয়াৰ লগতে বৰষুণৰ একো প্ৰত্যক্ষ সম্বন্ধ বা সমন্বয় নাই যদিও, তুল্যমূল্য দৰ্শাবৰ কাৰণে নীতি বচনত তাক তাতে সাঙুৰি থোৱা আছে। অৰ্থাৎ যেনেকৈ সাধাৰণতে আগন্তুক বৃষ্টি আৰু বিয়াৰ উকলিয়ে আগন্তুক উপভোগৰ সূচনা কৰে যদিও দক্ষিণৰ মেঘৰ গাজনিয়ে বৰষুণৰ পৰিবৰ্ত্তে বৰষুণ নানে, আৰু বুঢ়াৰ বিয়াৰ উলহ-মালহো অচিৰতে দুখলৈ পৰিণত হোৱা স্বাভাৱিক।

[illegible] জলতোমক, [illegible] খেতিয়কৰ [illegible] বক [illegible] সময়। [illegible]

[illegible]

বাৰিষা বুলি গণ্য কৰা হয়, তথাপি অসমীয়া খেতিয়কৰ বাৰিষা আহে শালিধান চপোৱাৰ পিছৰপৰাই; অৰ্থাৎ মাঘ বিহুৰপৰাই। সেয়েহে মাঘ বিহুৰ দিনা দোকমোকালিতে উঠি ঘৰৰ গিৰিহঁতে বাহীমুখে বাৰীৰ আম-কঁঠাল, তামোল-পাণ, টেঙা-জৰ, লেতেকু-পনিয়ল আদি ফলৰ গছবোৰলৈ মাটিৰ চপৰা দলিয়াই দি চিঞৰি চিঞৰি 'লাগ লাগ' কৈ সেইবোৰক জগাই সচেতন কৰি দিয়ে। তাৰ পিছত গৰুৰ গোহালিলৈ গৈ গৰুবোৰৰ অৱস্থা চাই অহা-বছৰত বানপানী কিমান হব সেইটো নিৰ্ণয় কৰে। তেওঁলোকৰ মতে যদি গৰুবোৰ শুই থাকে তেন্তে সেইবাৰ বানপানী নহয়, আৰু বৰষুণো কম হয়; যদি উঠি থিয় হৈ থাকে তেন্তে ভীষণ বানপানী হয়, আৰু যদিহে কিছুমান গৰু শুই থাকে আৰু কিছুমান থিয় হৈ থাকে তেন্তে পানী মজলীয়া বা মাজা-মিহলা বিধৰ হয়।

মাঘৰ বিহুত গোৰ শয়ন
ধৰাত্ত কিঞ্চিৎ জল-বৰিষণ;
থিয় হয়া গোৰে পাগুলিব এবে,
গোৰে-পোৰে বানত একেলগে মৰে।

মাঘমহীয়া বতৰৰ পৰিবৰ্ত্তনলৈ লক্ষ্য কৰিও বাৰিষাৰ বিষয়ে আৰু অনেক কথা ঠাৱৰ কৰি লোৱা হয়। মাঘ মাহৰ সপ্তমী তিথিৰ দিনা—শুক্লা সপ্তমীয়ে হওক বা কৃষ্ণা সপ্তমীয়ে হওক—যদি কুঁৱলী দিয়ে তেনেহলে সেই বছৰ বাৰিষা প্ৰবল বানপানী হোৱাৰ সম্ভাৱনা থাকে। অলপ বৰষুণ হলে খেতি ভাল হয় আৰু বদি ধাৰাসাৰে বৰষুণ দিয়ে তেনেহলে বানপানীও প্ৰলয়ঙ্কৰী হয়।

মাঘী সপ্তমীতে দিয়ে কুঁৱা
হ এৰি বাঁম বোৱা।

অৰ্থাৎ হ মাটিৰ খেতি সেইবাৰ বানপানীয়ে মাৰিব।

মাঘী সপ্তমীত বৰিষে মেঘ;
বেহা এৰি নাঙল কৰা নেৰ।

আৰৌ

মাঘী সপ্তমী উপৰে কাজি;

আহু এৰি ধৰিবা শালি।
যদি ৰবিযে বিণি-জিনি;
শস্যৰ ভাৰ নসহে মেদিনী।
যদি ৰবিযে মুষল ধাৰে;
মাজ সাগৰত বগলী চৰে।

মাঘৰ মাহৰ দেওবাৰ অথবা শনিবাৰ-মঙ্গলবাৰে আঁউসী আৰু তৃতীয়া তিথিত উত্তৰ দিশৰপৰা বতাহ বলা আহুধানৰ বাবে মঙ্গলকৰ নহয়; কিন্তু সেই কেইদিনত বাহিৰে অন্য দিনত উত্তৰৰপৰা অহা বতাহে সেই দছৰৰ আহুধানৰ মঙ্গল সূচনা কৰে—

ৰবি ৰবিসুত ভূমি-নন্দনে
মাঘৰ সপ্তমী তৃতীয়া দিনে;
ইহাতে উত্তৰা যেবে পায়
অৱশ্যে জানিবা আহু হৰায়।

কোন কোন বাৰত কি কি খেতি আৰম্ভ কৰা প্ৰশস্ত সেই বিষয়ে কোৱা হয় যে বুধ, বৃহস্পতি আৰু শুক্ৰবাৰ ধান আদিৰ কাৰণে উত্তম, কিন্তু এই কেইদিন মাহ, সৰিয়হ আৰু বাঁহৰ কাৰণে প্ৰশস্ত নহয়।

বুধ, বৃহস্পতি, শুক্ৰবাৰ;
মেদিনী নসহে শস্যৰ ভাৰ।
মাহ, সৰিয়হ, কপাহ; বাঁহ,
চাৰিকো খাব, নাহিকে আশ।

পুহ মাহত যদি আকাশ মেঘেৰে আগুৰা থাকে অথবা আকাশত সঘনে মেঘৰ গৰ্জন হৈ থাকে আৰু মাহৰ মাজ ভাগতো বৰষুণ নহয় তেনেহলে বছৰৰ চাৰি মাহত মাথোন অলপ-অচৰপ বৰষুণ হয়, বাকী মাহবোৰত নহয়।

পৌষমাসে হয় যদি মেঘৰ গৰ্জন,
মাঘ মাসে হয় পুহু জলৰ শোষণ;
যেনেহেৰে বৃষ্টি পৰে জেঠত,
চাৰিমাস বৃষ্টি হোৱে লোকত।

মাঘ মাহত বৰষুণ দিয়া ভাল, শেষৰ ফালে দিয়া তাতোকৈ ভাল।

মাঘৰ মাসত যদি বৰিষে পানী;
তেৱে কিছু বৃষ্টি আগলৈ জানি।
যদি বৰিষে মাঘৰ শেষ,
ধন্য ৰাজা পুণ্য দেশ।

সেয়ে নহৈ যদি মাঘত ৰ'দ আৰু ব'হাগ মাহত শীত হয় তেনেহলে আকৌ বাৰিষাৰ চাৰি মাহ ভূমিত অল্পবৃষ্টি হয়।

মাঘত ৰৌদ্ৰ, বৈশাখত শীত,
চাৰি মাহ অল্প-বৃষ্টি ভূমিত।

কৃষকৰ ধাৰণামতে মাঘ মাহৰ ৰোহিণী নক্ষত্ৰৰ তিথিৰ দিনা ৰৰষুণ হবই হব; য'দ নহয়, তেনেহলে সেই বছৰত খেতি কেতিয়াও ভাল নহয়—

মাঘ মাহত ৰোহিণী নক্ষত্ৰ
যদি নবৰিষে দেৱ;
হাল-কোৰ বেচি কৰা সৰ লোকে
দেৱী মহাদেৱক সেৱ।

মাঘৰ বিহু কোন বাৰে পৰিলে কেনে হয় সেই বিষয়েও নানান নিৰ্দেশ আছে। শনি বা মঙ্গলবাৰে পৰিলে প্ৰজাৰ কিছু সুখ হয় সঁচা; কিন্তু সেই বছৰ বানপানীৰ প্ৰকোপ কম নহয়। মাঘী পূৰ্ণিমাৰ পৰা মেষ, মকৰ, তুলা আৰু কৰ্কট- এই চাৰি ৰাশি যদি উত্তৰায়ণত মিলে, তেনেহলে সেই বছৰ ভয়ঙ্কৰ পানী হয়।

পৌষৰ বিষু যেই বাৰে
ৰবিসুত মঙ্গলবাৰে;
সুখ দ্বিগুণ তিনিগুণ বান
এইবাৰ গৈল মাটিৰ মান।
মেষ, মকৰ আৰু তুলা কাঁকৰ, (কাঁকৰ—কৰ্কট)
এই চাৰি ৰাশিৰ সাগৰ।
এই চাৰি উত্তৰায়ণে যায়;
বহু বাৰিষা, শস্য হবায়।

ফাগুন মাহত ৰোহিণী নক্ষত্ৰৰ লগত কোন তিথি পৰে সেইটো জানিব পাৰিলেও কৃষিৰ ফলাফল আৰু বানপানীৰ প্ৰকোপ কিছু বুজিব পৰা যায়। যদি সপ্তমী তিথি হয় তেনেহলে ধান হয়. যদি অষ্টমী তিথি পৰে তেন্তে ঘোৰ বানপানী হয়, যদিহে নৱমী তিথি হয় তেনেহলে ৰজাপ্ৰজা সকলোৰে দুখ-কষ্ট কুলাই-পাচিযে নধৰা হয়। বাকীবোৰ তিথিৰ কথা কোৱা নাযায়।

কি চাহা পণ্ডিত আগম পুৰাণ,
ফাগুন ৰোহিণীত কি তিথি জান
সপ্তমী ধান, অষ্টমী বান;
নৱমী কৰে সমূলে নির্জ্জন।

ফাগুন গৈ চ'ত পৰোতে বাৰটো যদি সোমবাৰ হয় তেনেহলে দৰৰ লগীয়া একো নাই। যদি দেওবাৰ হয় তেনেহলে সেই বছৰ যথেষ্ট ৰবৰুণ হয়; মঙ্গলবাৰ হলে খেতি ভাল হয়; শনিবাৰ হলে শস্য হানি হোৱাৰ উপৰিও দেশত মাৰিমৰক লাগে।—

ফাগুনৰ শেষে চৈত্ৰ প্ৰৱেশ হৱে যেই বাৰ,
ৰবি শেষ বৰিষে, মঙ্গলে ধূলি অন্ধকাৰ।
বুধ, বৃহস্পতি, শুক্ৰবাৰে,
ধৰা নধৰে শস্যৰ ভৰে।
যদি হোৱে শনিবাৰ,
শস্য হানি, প্ৰজা ক্ষয়ঙ্কাৰ।

চ'তৰ চতুৰ্দশী তিথিত যদি বতৰ ভাল হয়, অৰ্থাৎ ৰ'দ বা ৰবৰুণ কোনোটোৰে প্ৰভাৱ অসহনীয় নহয়, তেনেহলে সেই বছৰত বাৰিষা পানীৰ অভাৱ নহয়—

চৈত্ৰ চতুৰ্দ্দশী যদি সমজল,
নিশ্চয় জানিবা বৰ্ষা বহুল।
বা
চৈত্ৰৰ চতুৰ্দশী যদি সমতুল্য
তাকে বোলে বৰ্ষা হোৱে বাহুল্য।

চ'ত মাহত বৰকৈ কেন্দুফল লাগিলে আৰু ব'হাগ মহত শিলাবৃষ্টি হৈ জেঠত কিছু বৰষুণ হ'লে সেই বছৰত বাৰিষাৰ চাৰি মাহত যথেষ্ট বৰষুণ হয়।

চৈত্ৰৰ কেন্দুফল নিৰন্তৰ
বৈশাখ মাসত পৰে পাথৰ
ঝৰি ঝৰি জল পৰে জেঠত
চাৰি মাহ বৃষ্টি হয় লোকত।

চ'তৰ বা বহাগৰ বিহুৰ দিনাখো গণনা ডাকে এইদৰে দিছে

কি কহিবো চৈত্ৰৰ বিষুৰ কথা,
পূৰ্ণিমা অমাৱস্যা জন্ময় যথা;
গৰজে মেঘে বৰিষে ধাৰে,
পৰ্ব্বত বুৰায় একেবাৰে;
আউল-বাউল কৰি বহে বাও,
ডাকে বোলে ভৈল বিনাশৰ ভাও।

আৰু সেইদিনা যদিহে—

দক্ষিণে গৰ্জ্জে, পূবে বৰিষে পশ্চিমে দিয়ে ধেনু,
খিতাতে বহি ডাকে বোলে সাগৰ শুকায় যেন্নো।

কিন্তু—

উত্তৰে গৰ্জ্জে পশ্চিমে বৰিষে পূবে দিয়ে ধেনু
খিতাতে বসি ডাকে বোলে পৰ্ব্বত বুৰায় যেনো।

অকল বহাগ বিহুতে নহয়, বাৰিষা পূবে ধেনু দিলে বানপানী আৰু পশ্চিমে ৰামধেনু দিলে খৰ হয় বুলি মানুহৰ সাধাৰণ ধাৰণা।

এইদৰে চৈত্ৰ বাৰিষা নামিলেও আকৌ আহাৰ, মহীয়া আৰু নৱমীত বুলি বৰষুণ হয় জেনেহলে তাৰ পাছৰ কেইমাহত বানপানী নিশ্চয় হব বুলি ধৰি লোৱা হয়।—

আহাৰৰ নৱমী শুক্ল পক্ষত
জল বৰিষে ভূমি তলত,
"হাল-জোৰ এৰি চিকিও সৈতে,
বাজি-গৃহত কৰিও লেউ।"

ইয়াত 'ৰাজগৃহত কৰিও সেউ' মানে আজিৰ কৃষকে হয়তো চৰকাৰৰ ওচৰত আগধৰিয়ে সাহায্যৰ বাবে আবেদন কৰাৰ কথাও বুজিব পাৰে। আগৰ দিনত কিন্তু তাৰ অৰ্থ ৰজাৰ ঘৰলৈ গৈ আলচ কৰি উমৈহতীয়া বা যৌথ দায়িত্বত কাম আৰম্ভ কৰা বুজা গৈছিল। আষাৰৰ শুক্লা নৱমীত টান বৰষুণ নহৈ কিন্‌কিনীয়া বৰষুণ হলে কিন্তু মানুহে বানপানী হব বুলি নাভাবে, বৰঞ্চ খেতি ভাল হব বুলিহে মনত আনন্দ পায়—

যদি বৰষে জলৰ কণা,
ৰঙ্গ কৰি নাচে কৃষকজনা।

ভৰ বাৰিষা চাৰিওফালে যেতিয়া বানপানী, ক'ৰো মানুহ ক'লৈকো খোজকাঢ়ি যাব নোৱাৰে তেতিয়াও কৃষকে বানপানী শুকাব নে বাঢ়িব তাৰ গণনা কৰে সেই সময়ৰ বতাহৰ গতিবিধি লক্ষ্য কৰি। পশ্চিমৰপৰা বতাহ বলি থাকিলে পানী নুশুকায় বুলি মানুহৰ ধাৰণা। আকৌ একেৰাহে বতাহ বলি থাকিলে বানপানী শুকাব বুলি আশ্বস্ত হৈ সকলোৱে কোৱাকুই কৰে। সেইবাবেই এয়াৰি বচন আছে, বোলে—

ব্ৰাহ্মণ, বাদল বান,
দক্ষিণাতে প্ৰস্থান। —অৰ্থাৎ দক্ষিণা পালে বামুণে শীঘ্ৰে বিদায় লয়; বৰষুণ বদল আৰু বানপানীও সেই একেদৰে দক্ষিণা বতাহ পালেই সোঁ-সোঁ-কৰে বিদায় লয়।

বাৰিষা নমাৰ লগে লগে ৰাতিপুৱা আৰু সন্ধ্যাৰ বেহ-ৰূপ লক্ষ্য কৰিও বতৰ আৰু বাৰিষাৰ বিষয়ে গণনা কৰা যায়। ৰাতিপুৱা যদি বেলি সেন্দুৰৰ দৰে ৰঙা হৈ ওলায় আৰু চকা পাতত বহাৰ সময়ত যদি পশ্চিম আকাশ ওন্দোলাই থাকিবলৈ ধৰে তেন্তেহলে সেইবাৰ বাৰিষাত যথেষ্ট পৰিমাণ বৰষুণ হয়। পুৱা বেলি ওলোৱাৰ পিছতেই মেঘে আকাশ ঢাকি পেলালেও বৰষুণ আহয় আৰু সেই বছৰ বৃষ্টিবহুল হব বুলিও ধৰি লোৱা হয়।—

উদয়ে সিন্দুৰ, পশ্চিমে কালি
বৰ্ষা বাহুল্য জানিয়া ভালি
নাইবা
উদয় কালত সূৰ্য্য সিন্দুৰ, অস্তত হয় ক'লা;
সেইবাৰ জানা বৰষুণ হয় মহামেলা।

তাকে এনেকৈও কয়—

উদয়ে সিন্দূৰ, পশ্চিমে কাণী,
তেৱে হৈব বহু বাৰিষা জানি।
প্ৰকাশিয়া ৰবি উঠিয়া নাশে,
ডাকে বোলে বৃষ্টি হৈব আকাশে।

আকৌ বাৰিষাৰ ঘাই ফল হ'ল আম আৰু কঁঠাল। আম আৰু কঁঠালক লাগনলৈ লক্ষ্য কৰিও বাৰিষা কেনে হব কোৱা যায়।

আমে ধান, কঁঠালে বান।

অৰ্থাৎ আম যি বছৰত বেছিকৈ লাগে সেই বছৰ ধানৰ খেতি ভাল হয়, আৰু কঁঠাল যি বছৰত বেছিকৈ লাগে বানপানীৰ প্ৰকোপ সেই বছৰ বাঢ়ে তাকে এনেকৈও কোৱা হয়—আমে ধান, তেঁতেলীয়ে বান॥

এইদৰে ডাকৰ বচনবোৰে অসমীয়া খেতিয়কক যুগ যুগ ধৰি নীতি উপদেশেৰে জীৱন-নিৰ্ব্বাহত সহায় কৰি আহিছে। কোনো বিষয়ৰ সমস্যা উপস্থিত হলেই জনা লোকে ডাকৰ বচন মাতি তাৰ সমাধানৰ উপায় দিয়ে। এই উপদেশবোৰ অসমীয়া লোকে, অন্ততঃ অসমীয়া খেতিয়কে উলাই কৰিব নোৱাৰে। সেই কাৰণে কোৱা হয়—

ডাকৰ বচন বেদৰ ৰেখা,
সত্য-অসত্য বিচাৰি দেখা।

নাইবা

ডাকৰ বচন বেদৰ বাণী,
তাক থাকিব কোনে নামানি?

আৰু

ডাকৰ বচন বেদৰ বাণী,
পো-নপা তিৰোতা ঘৰলৈ নানি;
তোমো, বজো, মোমো, বকে,
ভাল ভাল পিন্ধি পুতেকৰ নাকে।—অৰ্থাৎ ডাকৰ বচন বিফলে নাযায়। ডাকে কৈছে দশ-ছোৱালী থকা তিৰোতাক পুত্ৰৰূপে গ্ৰহণ কৰিব নাপায়। তাকে আনিলে সেই তিৰোতাই দুবৰ্ৰ জুকলোৱে চকুৰ ধুলি মাৰি ভাল ভাল বস্তুবিলাক নিজৰ পুতেক-জীয়েকলৈ থয় আৰু শিহঁতক

খুৱায়। পিছে ডাকেও অসময়ৰ অনিশ্চিত বতৰৰ গণনা দিবলৈ গৈ 'কাণী-মুনি বাই, মোৰ গণনা নাই' বুলি হোৱাৰ দৰে কিঞ্চিৎ গা এৰাদি কৈছে—

মেঘৰ জলধৰে বৰিষে ধাৰে;
কি কৰিব তাক গণকে ক্ষণাৰে?
তথাপিতো তিথি-বাৰক পাই,
ডাকে বোলে কিছু কিছু বেলা যায়।

ডাকৰ বচনৰ আলমত বতৰ আৰু খেতিৰ বিষয়ে বুঢ়া-সকলে খেতিয়কসকলক উপদেশ দিয়ে। আগতে কোৱা হৈছে যে গাঁৱত সমস্যা উপস্থিত হলে এনেকুৱা বুঢ়া লোকৰ উপদেশ বিচৰা হয়। খেতিয়কবা সেই উপদেশ সাধৰৰ দৰে কৈ নলবে সেই বিষয়ৰ এটি চুটি আখ্যান আছে;

এখন গাঁৱত এক জ্ঞানী বুঢ়া আছিল। বুঢ়াই ডাকৰ বচন মাটি বুজো-তাত বাদেও নিজেও তেনে বচন ৰচনা কৰি মুখে মুখে কৈছিল। এবাৰ গাঁৱৰ খেতিয়কসকলোৰ সেই বুঢ়াৰ ওচৰলৈ গ'ল— বতৰৰ আগজাননী জানি লবৰ কাৰণে। তেওঁলোকে গৈ বুঢ়াক সুধিলে—'সৰ্ব্বজান আতৈ, এইবাৰনো পিছে বতৰ কেনে হব?' বুঢ়াই কলে—'এইবাৰ বতৰ 'নল-তলী, মুখে ডিঙিৰী' হব।' গাঁৱৰ মানুহবোৰে 'ওঁ' বুলি বুজাৰ দৰে মূৰ দুপিয়ালে। তেওঁলোকে উভতি আহোতে আলচ কৰি ঠিক কৰিলে—'এইবাৰ তেন্তে বৰ ডাঙৰ বানপানী হব, নলৰ আগ তল যাব আৰু ঘৰৰ মূধতহে ডিঙৰী (ডিঙৰা) পাতিব লাগিব। গতিকে দ মাটিত খেতি নকৰি ওখ ৰকবাণি মাটিতহে খেতি কৰা উচিত হব। সকলোৱে তাকে কৰিলে।

বাৰিষা আহিল আৰু গ'ল। আহিন-কাতি পালেহি। বানপানী নহ'ল। ৰবৰুণো অতি কম হ'ল। ধানৰ খেতি কাৰো ভাল নহ'ল। গাঁৱত দুৰ্ভিক্ষ হুৱৰ উপক্ৰম হ'ল। ইয়াৰ গুৰিতে সৰ্ব্বজান বুঢ়াহে বুলি ঠিৰাং কৰি সকলো গঞা দল বান্ধি বুঢ়াৰ ওচৰ পালেগৈ। তেওঁলোকৰ এজনে কলে—'এইবাৰ বতৰ নল-তলী, ওপৰে ডিঙিৰী হব বুলি কৈ তুমি আমাক বধিলা কিয়? আমি বানপানী হৈছে হব বুলি ভয় কৰি কোনেও দ-ঠাইবোৰত খেতি নকৰিলোঁ। এতিয়া আমাক খুৱাব কোনে? আমাৰ যে ধানখেতি নহ'ল।

সৰ্ব্বজানে কলে—'বোপাইহঁত, কথাতে কৈছে বোলে—'জানি বুজি কৰিবা কাজ, হাৰিলে জিকিলে নাই লাজ।' মই তোমালোকক ঠিকেই কৈছিলোঁ। তোমালোকেহে বোধ হয় ভুল বুজিলা। 'নল-তলী' মানে, পানী ইমান কম হব যে সি নলৰ তলে তলেহে বব। 'মুখে ভিজিবা' মানে মুখত তুলি খোৱা খিৰিকী মুখতে থাকিব, পানী নোহোৱা বাবে তাক নমাবৰে প্ৰয়োজন নহব।'

মানুহবোৰে টকা কৰি সেই বুঢ়াৰ কথা মিছা নহয় বুলি ভাবি নিজৰ থং নিজৰ গাতে মাৰ নিয়াই উভতি গ'ল।

আগতে কোৱা হৈছে যে বতৰৰ বিষয়ে থকা প্ৰবচনবোৰ বহু যুগৰ বতৰ সম্পৰ্কীয় অভিজ্ঞতাৰ ফল। যি দেশত বতৰৰ বিশেষ পৰিবৰ্ত্তন নাই তাত বতৰৰ আগ জাননী সূচাবলৈ প্ৰবচনো নাই, যেনে, আৰব দেশ।

ইটালি, ফ্ৰান্স, গ্ৰেট ব্ৰিটেইন, ইৰান, ইৰাক, শ্যাম, ভাৰতবৰ্ষ আদি যিবোৰ দেশত বতৰ সঘনে সলনি হৈ থাকে সেইবোৰৰ ভাষাসমূহতো বতৰ সম্পৰ্কীয় প্ৰবচন প্ৰচুৰ। আচৰিত কথা এই যে বচনবোৰৰ তাৎপৰ্য্যৰ আচৰিত সাদৃশ্য আছে। শ্যাম দেশৰ এটা প্ৰবচনত কোৱা আছে যে ভেকুলা যে বাটৰ ওপৰত অপা-ডেৱাকৈ জপিয়াই থাকিলে ধুমুহা আসন্ন বুলি জানিব লাগে। সেই ধাৰণাটো গ্ৰেট ব্ৰিটেইন আৰু অসমৰ মানুহৰ মাজতো শিপাই আছে। আকৌ ফৰাচী ভাষাৰ এটা প্ৰবচনমতে 'বতৰ, বতাহ, তিৰোতা আৰু লক্ষ্মী—আকাশৰ জোনৰ দৰেই পৰিবৰ্ত্তনশীল।' সেই দেশৰে আৰু এটা যোজনাত কোৱা আছে যে বাত ৰোগ বৃদ্ধি হলে হেনো বৰষুণ অনিবাৰ্য্য। অসমীয়াতো সংস্কৃত শ্লোককে আওৰাই কোৱা হয়—'স্ত্ৰিয়াশ্চৰিত্ৰং পুৰুষস্য ভাগ্যং দেৱো ন জানাতি, কুতঃ মনুষ্যঃ?' তেনেকৈয়ে গৰুকত পগ-গপনি ধৰিলে শীঘ্ৰে বৰষুণ হয় বুলি অসমীয়া লোকৰ ধাৰণা।

অসমীয়াত আৰু এটা যোজনা আছে, বোলে—'গৰজা মেঘতাই বৰষিব নোৱাৰে' অৰ্থাৎ আকাশত বেছিকৈ মেঘৰ গাজনি হলে বৰষুণ নহয় নাইবা হলেও পৰিমাণত কম হয় অথবা অস্থায়ী হয়। ইংৰেজ আৰু আমেৰিকাৰ লোকসকলৰ মাজতো এটা সৰ্ব্বজনবিদিত ধাৰণা এই যে হঠাতে হোৱা বৰষুণ তিনি ঘণ্টাতকৈ অধিক কাল নাথাকে। এই দেশবোৰৰ লোকসকলৰ মাজত আৰু কিছুমান বতৰ সম্পৰ্কীয় সাধাৰণ ধাৰণা আছে, যেনে, [illegible]

শুকান পাতবোৰ সৰি নপৰি গছত লাগি থাকিলে সেই বছৰ শীত ঋতু দীৰ্ঘকাল স্থায়ী হয়। শুকান পাত সৰি পৰোতে যদি ওলোটা হৈ অৰ্থাৎ পাতটোৰ ওপৰখন তল হৈ পৰে তেনেহলে বৰষুণ শীঘ্ৰে হয়। ওক (oak) গছত বেছিকৈ ফল ধৰিলেও সেই বছৰ শীতৰ প্ৰকোপ বাঢ়ে বুলি কোৱা হয়। আমাৰো তেনেকৈ আছে—'আমে বান, কঁঠালে ধান।'

আমাৰ মাজত আৰু এটা জনাজাত কথা আছে যে ভেকুলীয়ে টোৰ্ টোৰালে বৰষুণ হয় আৰু ফৰিঙে কিট কিট্ কৰি থাকিলে ব'দ হয়। তেনেকৈ বৰষুণৰ পানীত বা নৈ, বিল, পুখুৰী আদিৰ পানীত বৰষুণৰ টোপাল পৰি যদি ধোঁৱা বাহে তেনেহলে নেৰানেপেৰা বৰষুণৰ ফলত বানপানী হয়। এইবোৰ সাধাৰণ ধাৰণা। তেনেকৈ ইউৰোপ আৰু আমেৰিকাৰ মানুহবোৰেও চাহ আৰু কফি পিয়লাত ঢালি দিওঁতে উঠা বুৰবুৰণিবোৰ লক্ষ্য কৰিও বতৰৰ অৱস্থা নিৰ্ণয় কৰে। হেনো—এই বুৰবুৰণিবোৰ পিয়লাৰ মাজত থুপ খ'লে শীঘ্ৰে ব'দ হয়, পিয়লাৰ কিনাৰত চাৰিওফালে সিঁচৰতি হৈ থাকিলেও বৰষুণ হয় আৰু যদি মাজ ঠোখৰত থাকি ভিন ভিন ৰূপ লয় তেনেহলে বতৰৰ অতি শীঘ্ৰে পৰিবৰ্ত্তন ঘটে।

বৰুণ দেৱতাক তুষ্ট কৰি বৃষ্টি নমাবৰ কাৰণে আগৰ দিনত পূজাপাতল কৰা হৈছিল। ৰজাই দেশৰ দুৰ্ভিক্ষ দূৰত ৰাখিবৰ কাৰণে খৰাং বতৰ গুচাই দেশত বৰষুণ দিয়াবলৈ নিজৰ প্ৰধান মহিষীকো জলকুঁৱৰীৰ নামত পুখুৰীত উছৰ্গা কৰি দিছিল বুলি প্ৰবাদ আছে। 'কমলা কুঁৱৰী'ৰ গীত আৰু সাধু কথা আজিও চলি আছে। তাহানি মেক্সিকো দেশতো ঠিক তেনেকৈয়ে বৃষ্টি নমাবলৈ পুৰোহিতসকলে পূজা কৰিছিল আৰু এগৰাকী ধুনীয়া গাভৰুক মূল্যবান বস্ত্ৰ-অলঙ্কাৰ পিন্ধাই সালংকৃতা কৰি বৰুণ দেৱতাৰ মন্দিৰৰ ওচৰত শংখ গম্ভীৰ নাদ এটাত ওপৰৰপৰা পেলাই দিয়াৰ ব্যৱস্থা কৰিছিল। এই উৎসৱত নৃত্য-গীত পূৰ্ণমাত্ৰাই চলিছিল।

আকৌ পেৰু দেশৰ আদিম অধিবাসীসকলে সূৰ্য্য দেৱতাক বন্দী কৰি বৰষুণ নমাবৰ উদ্দেশ্যে ওখ গছবোৰৰ মূৰে মূৰে ইজোপাৰপৰা সিজোপালৈ অসংখ্য সূতা বা ৰচি বান্ধি দি জাল তৈয়াৰ কৰিছিল। এনেকৈ বন্দী কৰি ৰাখিলে বৰষুণ অনিবাৰ্য্য বুলি তেওঁলোকে ভাবিছিল।

সেৰ্পলেণ্ডৰ অধিবাসীসকলৰ তিৰোতাবোৰে তাহানি পিছিয়েকইতে নাৱেৰে ৰণিজলৈ গলে বাতাৰ সময়ত পিছিয়েকইতৰ চোলা বা পাৰ্ত দোৰা

কাপোৰত কেইবাটাও গাঁঠি মাৰি দি পঠাইছিল। নদী বা সাগৰত বতাহ নাথাকিলে এই গাঁঠিবোৰৰ এটা খুলি দিলেই বতাহ আহিব—এয়ে আছিল সিহঁতৰ ধাৰণা আৰু বিশ্বাস।

আফ্ৰিকাৰ নিগ্ৰোবোৰে আকৌ বৰষুণ বৰকৈ হলে নতুবা একেবাৰে নহলে দল বান্ধি যাঠি, জোং, তৰোৱাল লৈ ডাৱৰক খেদি যোৱাৰ ভাওনা কৰাৰ ব্যৱস্থা আছিল। অষ্ট্ৰেলিয়াৰ আদিমবাসীবোৰৰ মাজত পেপা বজাই বতাহত ধূলি মাৰি দি ডাৱৰ খেদি পঠোৱাৰ নিয়ম আছিল। খাজা দেশৰ পুৰোহিতসকলে অনাবৃষ্টি হলে নিৰাহাৰে থাকি নিৰ্দ্ধাৰিত নিয়ম পালি স্তুতি-নতি কৰি বৰষুণ নমাব লাগিছিল। এইদৰে নানা দেশত নানা ধৰণৰ নিয়ম প্ৰচলিত আছিল। অসমত এই ধাৰণাবোৰ কেনেকৈ কিছুমান বচনত বান্ধি দিয়া আছে তাক আগতে আলচ কৰা হৈছে। খেতিয়কে বিশ্বাস কৰে বতৰ নকৰক বতৰ যদি ভাল নহয় তেনেহলে বতৰীয়া খেতিও ভাল হব নোৱাৰে। গতিকে বতৰ সম্পৰ্কে ডাক পুৰুষে কৈ যোৱা বাণী আধাৰ-চেবেককে পুনঃ দোহাৰি প্ৰসঙ্গ সামৰা গ'ওক—

'কি কৰিব চাহ-চালনা,
যদিহে কৰে বতৰ কেনা।
বংদে বৰষুণে সমানে যায়,
তেবেসে কৃষিৰ লাভক পায়।

আৰু

যদি বৰষে আঘোণ-পুহ।
ধান গুচি হয় তুঁহ॥
যদি বৰষে মাঘৰ শেষ।
ধন্য ৰাজা, পুণ্য দেশ॥
যদি বৰষে মাঘ-ফাগুন।
আহু ধান হয় দ্বিগুণ॥
জেঠত শুকান আহাৰত ধাৰা।
শস্যৰ ভাৰ নসহে ধৰা॥

আৰু

বেঙে মাতে ঘনেঘন।
শীঘ্ৰে বৃষ্টি হব জান॥
পশ্চিমৰ মেঘ নিত্য ধৰা।
পুবৰ মেঘই বৰিষে ধৰা॥

লোকদেবতা শিব



শ্রীঅতুলচন্দ্র [illegible] এম. এ.

LOKA DEVATA SIVA—A treatise on the popular god Siva describing the various facets of his popularity as revealed through scriptures and common belief written by Shri Atul Chandra Barua M.A., and published by M/s New Book Stall, Guwahati, Assam.

মূল্য : তিনি টকা

প্ৰকাশক : নিউ বুক ষ্টল, গুৱাহাটী

প্ৰথম প্ৰকাশ : ডিচেম্বৰ, ১৯৬৭ চন

মুদ্ৰক :

শ্ৰীকালীচৰণ পাল

নৱজীৱন প্ৰেছ

৬৬ গ্ৰে ষ্ট্ৰীট, কলিকতা-৬

শ্ৰীযুত লক্ষ্মীনাথ দাস এম. এছ. চি.

সহৃদ দেউতাৰ কৰকমলেষু

আগ-কথা

ধান বনা, পানী অনা, মাছ মৰা, গৰু চৰোৱা বেশ্যা হোম-যজ্ঞ-বিয়া-সবাহকৈকে শিৱ-মহাদেৱৰ গীতে অসমীয়া প্ৰজা সমাজ তেনেই আগুৰি আছে। একেজন দেৱতাৰ কথা আৰু গীত-মাতে কেনেকৈ অসমীয়া জাতীয় জীৱনৰ বিভিন্ন স্তৰ অধিকাৰ কৰি আছে ভাবিলে আচৰিত নহৈ নোৱাৰি। তাতোকৈ আৰু অধিক বিস্ময়কৰ কথা এই যে 'ত্বমেব মাতা চ পিতা চ ত্বমেব বন্ধুশ্চ সখা ত্বমেব' হোৱাৰ উপৰিও এই দেৱতাজনাই কেতিয়াবা আকৌ যোগী, কেতিয়াবা গৃহী, কেতিয়াবা ভঙুৱা, কেতিয়াবা নটুৱা আদিৰ ভাও লৈ ভক্তসকলৰ প্ৰীতি সাধন কৰিছে। তেওঁ অৱশ্যে নিজে এইবোৰ ৰূপ পৰিগ্ৰহ কৰিছিল নে নাই জনা নাযায়। কিন্তু তেওঁৰ অনুৰক্ত ভক্তসকলে অন্ততঃ তেওঁক সেইৰূপে সজাই তৃপ্তি লভিছে আৰু তাত তেওঁ কেতিয়াও বিতুষ্ট হোৱা নাই। তেওঁৰ এটা নাম বাঞ্ছা-কল্পতৰু আৰু তেনেকৈ ভাবে তেওঁ সঁচাকৈয়ে ভক্ত-বাঞ্ছা-কল্পতৰু।

মহেঞ্জোদাৰোৰ স্তূপীকৃত ধ্বংসাৱশেষত পোৱা যোগনিৰিষ্ট পশুপতি শিৱৰ মূৰ্ত্তিকা-মোহৰে অন্ততঃ এইটো প্ৰমাণ কৰে যে শিৱ প্ৰাগ্-বৈদিক দেৱতা। হয় তাৰে সূৰ্য্য, অগ্নি, বায়ু, বৰুণ আদি প্ৰকৃতিৰ [illegible] শক্তিসমূহক বাহিৰে তেৱেঁই আছিল সৰ্ব্বপ্ৰথম মূৰ্ত্তিমান আৰ্য্য দেৱতা। সেই [illegible] তেওঁ [illegible] নাৰৰ [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] নাৰীও কেতিয়াবা [illegible] [illegible] [illegible] আৰু [illegible] বিবাটকো বিৰাট [illegible] [illegible] [illegible] [illegible] বিৰাত [illegible] [illegible] [illegible] [illegible]

এগৰাকী আদি দেৱতা আৰু ভীম আছিল তাৰ পৰৱৰ্ত্তী ত্ৰেতাযুগৰ ক্ষত্ৰীয় বীৰ।

অসমীয়া লোক সমাজত হৰ-গৌৰীয়ে কেতিয়াৰপৰা প্ৰভাৱ বিস্তাৰ কৰিবলৈ আৰম্ভ কৰিলে সেইটো সঠিককৈ জনা নাযায়। তথাপি খৃষ্টীয়ে চুকি পোৱাৰ ভিতৰত কুমাৰ ভাস্কৰবৰ্ম্মাৰ ৰাজত্ব কালতে হৰ-গৌৰীৰ নাম কামৰূপৰ তাম্ৰশাসনাদিত উল্লিখিত হৈছিল বুলি জনা যায়। মহাকবি বাণভট্টৰ শ্ৰীহৰ্ষচৰিতত কোৱা আছে যে ভাস্কৰবৰ্ম্মাই সম্ৰাট হৰ্ষবৰ্দ্ধনৰ ওচৰলৈ মৈত্ৰী স্থাপনৰ অভিপ্ৰায়ে উপঢৌকনসহ প্ৰেৰণ কৰা ৰাজদূত হংসবেগৰ আগত কৈ পঠাইছিল 'শৈশৱ কালৰপৰা ভাস্কৰৰ স্থিৰ সংকল্প এই যে মহাদেৱৰ পদাৰবিন্দত বাহিৰে অন্যক তেওঁ নমস্কাৰ নকৰে'। হৰ্ষবৰ্দ্ধনেও প্ৰত্যুত্তৰত প্ৰত্যুপঢৌকন সহ দূত পঠিয়াই মৈত্ৰী স্বীকাৰ কৰি ভাস্কৰবৰ্ম্মাক সন্মানিত কৰিছিল—ই ইংৰাজী ৬০৬ চনৰ কথা। প্ৰায় সেই একে সময়তে অৰ্থাৎ সপ্তম শতাব্দীৰ আদি ভাগতে গৌৰৰ কৰ্ণসুৱৰ্ণৰপৰা আদিষ্ট ভাস্কৰবৰ্ম্মাৰ শ্ৰীহট্ট জিলাৰ নিধনপুৰত প্ৰাপ্ত তাম্ৰশাসনখন প্ৰথম বাক্যতেই কামৰূপেশ্বৰে 'ও প্ৰণম্য দেৱং শশি-শেখৰং' আদি বচনেৰে 'ভস্মকণবিভূষিত ইষ্টদেৱ শশিশেখৰ পিনাক-পাণি' মহাদেৱক প্ৰণাম কৰিহে তাম্ৰলিপি আৰম্ভ কৰিছে। এইখোৰৰপৰা এইটো প্ৰমাণ হয় যে প্ৰায় চৈধ্য শ বছৰৰ পূৰ্ব্বে শিৱ-মহাদেৱ কামৰূপ সম্ৰাটৰো আৰাধ্য দেৱতা আছিল। তাৰপৰা যুক্তিৰে ইয়াকো অনুমান কৰা যায় যে অন্ততঃ তাৰো বহুকাল পূৰ্ব্বৰেপৰা এই দেৱতাজনাই জনসাধাৰণৰ মাজত স্বীকৃতি লাভ কৰি পূজা-অৰ্চনা পাই আহিছিল।

[illegible] অতীজৰেপৰা ভাৰতৰ বিভিন্ন ঠাইৰ লোকে নিৰ্বিবাদে বিভিন্ন দেৱতাৰ পূজা-আৰাধনা কৰি আহিছে। হৰ-পাৰ্ব্বতী কিন্তু সেই বিভিন্ন গোষ্ঠীসমূহৰ [illegible] উভয়ৰে পূজ্য দেৱতা আছিল। [illegible] এই [illegible] [illegible] কালিদাসৰ [illegible]

[illegible]

[illegible]

[illegible]

[illegible]

[illegible]

ইয়াত হৰ-গৌৰীৰ প্ৰতি প্ৰণতি জনাই আমিও তেওঁসকলৰ শাস্ত্ৰীয় আৰু লৌকিক কাহিনী অলপ-অচৰপ পাঠকসকললৈ আগ বঢ়াব খুজিছোঁ। আশা কৰোঁ যেন আমাৰ যত্ন সাৰ্থক হয়। পিছে আখ্যায়িকা ইমান বিস্তৃত আৰু বহুমুখী যে তাক সামৰি আনি সুসংযত কৰি সজোৱা এক প্ৰকাৰ দুঃসাধ্য কাম। গতিকে এই কাৰ্য্যত আমি কেৱল সুধীসকলে পূৰ্ব্বে মোকোলাই যোৱা পথেৰেহে পাৰ্য্যমানে গতি কৰিবলৈ চেষ্টা কৰিম —'মণৌ বজ্ৰসমুৎকীৰ্ণে সূত্ৰস্যেৱাস্তি মে গতিঃ'। আৰু এটা [illegible] এই যে আমাৰ অসমীয়া লোকসমাজে তেওঁলোকৰ বিভিন্ন ৰুচি অনুযায়ী শিৱক নানাধৰণৰ শাস্ত্ৰীয়-অশাস্ত্ৰীয় কথাকল্পৰ লগত সংশ্লিষ্ট কৰি আহিছে; ময়ো তেওঁলোকৰে এজন হৈ ক্ৰমে চৰ্চ্চাৰ লোভ সামৰিব নোৱাৰি শিৱৰ কাৰ্য্যকলাপৰ ওপৰত দুই একোটা টিপ্পনী দিয়া [illegible] হব পাৰোঁ, তাৰ বাবে যেন সুধীসকলে দায়-দোষ নধৰে।

মুঠ আঠোটা প্ৰবন্ধেৰে অষ্টমূৰ্ত্তি লোকদেৱতা শিৱৰ বিষয়ে এই পুথি ৰচনা কৰাত ন-পুৰণি বিবিধ গ্ৰন্থৰ'জিৰপৰা সমল সংগ্ৰহ কৰা হৈছে আৰু তাৰ উল্লেখ যথাস্থানত যথাসাধ্য কৰা হৈছে। সেইবোৰত বাহিৰেও ডঃ [illegible]দাস ভট্টাচাৰ্য্যৰ 'বাংলা কাব্যে শিব', অম্বিকাচৰণ কাব্যতীৰ্থৰ 'শিৱা-চনতত্ত্ব', ডঃ নীহাৰৰঞ্জন ৰায়ৰ 'বাঙালীৰ ইতিহাস' আদি পুথিৰ যুক্তিতৰ্ক ঠায়ে ঠায়ে গ্ৰহণ কৰা হৈছে। ইয়াৰ গোটাদিয়েক প্ৰবন্ধ ইতিপূৰ্বে 'অসম বাণী', 'অসম বাতৰি', 'দৈনিক অসম' আদি কাকতত প্ৰকাশ হৈছিল। পুথি যুগুত কৰোঁতে অধ্যাপক নৱকান্ত বৰুৱা, [illegible] ডঃ [illegible] গোস্বামী, ডঃ প্ৰবোধ চন্দ্ৰ ভট্টাচাৰ্য্য, [illegible] শ্ৰীসুধীৰচন্দ্ৰ বৰুৱা আদি [illegible] উৎসাহ-উদগনি পোৱা হৈছে। পুথিত উদ্ধৃতি দিয়া [illegible] আদি [illegible] শ্ৰী[illegible] আৰু শ্ৰী[illegible] [illegible] [illegible]

[illegible]

লোকদেৱতা শিৱ

(অৱতৰণিকা)

অতীজতে আৰ্য্যসকল ভাৰতৰ উত্তৰ-পশ্চিমে থকা পামিৰ মালভূমি আৰু কাস্পিয়ান হ্ৰদৰ তীৰস্থ ভূমি অঞ্চলত বাস কৰিছিল; আনকি মানৱ জাতিৰ ক্ৰমবিকাশো-পোনতে এই অঞ্চলতে হৈছিল বুলি বৈজ্ঞানিকসকলে ভাবে। যুগ যুগ ধৰি তাতে বসতি কৰি থকাত আদিম অধিবাসীসকলৰ জনসংখ্যা তাত অপৰ্য্যাপ্তৰূপে বাঢ়িল আৰু আগৰ ঠাঁয়ে নোজোকা হ'ল। জনসংখ্যাৰ হেঁচাত তিষ্ঠিব নোৱাৰি বেলেগ বেলেগ দলত বিভক্ত হৈ সেই অঞ্চলবাসী মানুহ চামে চামে বাহিৰ হৈ আহিবলৈ ধৰিলে। এনেকৈ বহিৰ্গমন কৰা শেহ চামৰ লোকসকলেই আছিল আৰ্য্য জাতি। সম্ভৱতঃ তেওঁলোকৰ আগৰ চাম জাতিয়েই আছিল দ্ৰাবিড়সকল আৰু তেওঁলোকেই আৰ্য্য-বসতি আৰম্ভ হোৱাৰ পূৰ্ব্বে ভাৰত ভূমিত প্ৰৱেশ কৰিছিলহি। দ্ৰাবিড়সকলে প্ৰথমে ভাৰতৰ উত্তৰ অঞ্চলত বসতি আৰম্ভ কৰিছিল আৰু তাতেই পোনতে ভাৰতৰ জলবায়ু আৰু প্ৰকৃতিৰ দ্বাৰা প্ৰভাৱান্বিত হৈ নতুন কৃষ্টি গঢ়ি তোলাত তৎপৰ হৈ পৰিছিল। প্ৰথম অৱস্থাত তেওঁলোক যাযাবৰ বা ভ্ৰাম্যমান জনবী লোক আছিল; কৃষ্টি বিকাশৰ লগতে তেওঁলোকে যাযাবৰ-প্ৰকৃতি পৰিহাৰ কৰি গাঁও আৰু নগৰ পাতি বাস কৰিবলৈ আৰম্ভ কৰিলে। [illegible] বাঢ়ি অহাত দলত তেওঁলোকৰ অনেক লোকে [illegible] পাৰলৈ ধৰিলে। [illegible] হ'ল। তেওঁলোকৰ [illegible]





আশী বছৰত—

শ্ৰীযুত অতুলচন্দ্ৰ বৰুৱা, ১৯১৬

২৯।৫।৯৬

'সপ্তসতী, সপ্তবীৰ', 'যুগজয়ী মহীয়সী' আৰু 'পুৰাণ-মহাভাৰতৰ অনুপম সাধু'ৰ ৰচয়িত্ৰী শ্ৰীযুতা হিৰণপ্ৰভা বৰুৱা : শ্ৰীযুত অতুলচন্দ্ৰ বৰুৱাৰ সহধৰ্মিণী।

কৰিছিল। তেওঁৰ মূৰত শৃঙ্গ আছে আৰু তেওঁ যোগাসনত বহি থাকে, যোগী। নানা জীৱ-জন্তুৱে তেওঁক চাৰিওপিনে বেঢ়ি অৰ্চ্চনা কৰি থাকে।



যোগাসনস্থ শৃঙ্গী দেৱতা (মহেঞ্জোদাৰো)

মোহৰত থকা এইজনা দেৱতাৰ দেহ-ৰূপ চাই আৰু যোগাসন দেখি বহুতো বিজ্ঞলোকে ভাবে যে এওঁৱেই আমাৰ আলোচ্য জনদেৱতা শিৱৰ পূৰ্ব্ব-প্ৰতীক আৰু সেই হেতুকেই হবলা এইজনা দেৱতাৰ নাম-কৰণ হৈছে— 'পশুপতি শিৱ'।

ই হ'ল প্ৰায় পাঁচ হাজাৰ বছৰৰো আগৰ কথা। ইতিমধ্যে সাবেক আৰ্য্য জাতিৰ বিভিন্ন গোত্ৰসমূহে জনবৃদ্ধিৰ হেঁচাত ভুক্তিৰ লোভাৰি ক্ৰমে ক্ৰমে আগৰ ঠাইৰপৰা চাৰিওপিনে বিয়পি যাবলৈ ধৰিলে। কিছুমান গ'ল ইউৰোপৰ ফালে আৰু আন কিছুমান আহিল ইৰাণ আৰু ভাৰতৰ ফালে। এই আৰ্য্যসকলো যাযাবৰ বা অশ্বী শ্ৰেণীৰ লোক আছিল। ইহঁতলোকো চামে চামে, দলে দলে অহা বিভিন্ন গোত্ৰৰ লোক। তেওঁলোকেও উত্তৰ-পশ্চিমেদি ভাৰতত প্ৰৱেশ কৰিছিল আৰু ভাৰতত থকা প্ৰাক্-আৰ্য্য অধিবাসী দ্ৰাবিড় জাতিৰ অধিকৃত স্থানবোৰৰ আশে-পাশে অস্ত-ব্যস্ত বসতি আৰম্ভ কৰিছিল। ভাৰতত এই নৱাগত আৰ্য্যসকলৰ লাহে লাহে মহেঞ্জোদাৰো, হৰপ্পা আদি নগৰবাসী দ্ৰাবিড়সকলৰ লগত সংঘৰ্ষ, যোগ-সংযোগ আৰু আদান-প্ৰদান আৰম্ভ হৈছিল।

নৱাগত আৰ্য্যসকলো প্ৰথমতে প্ৰকৃতি-পূজক আছিল। ভাৰতত থিতাপি লগাৰ লগে লগে আহৰি গুলোৱাত তেওঁলোকৰ মাজতো এক শ্ৰেণীৰ তত্ত্ব-জিজ্ঞাসু ঋষি-মুনিৰ সৃষ্টি হ'ল। ক্ৰমান্বয়ে নতুন নতুন আৰ্য্য-গোট আহি সিন্ধু উপত্যকা ভৰি পৰিল। নৱাগতসকলে পূৰ্ব্বাগত আৰ্য্যসকলৰ লগত যোগদান কৰাত তেওঁলোকৰ বল বাঢ়িল আৰু মানৱ জাতিৰ স্বাভাৱিক প্ৰবৃত্তিৰ ফলত তেওঁলোকে পূৰ্ব্বৰ ঐশ্বৰ্য্যশালী নগৰ (পুৰ)-বাসী আৰু গ্ৰামবাসী অনাৰ্য্য জাতিৰ ওপৰত লোলুপ দৃষ্টি নিক্ষেপ কৰিবলৈ ধৰিলে। তাৰ অৱশ্যম্ভাৱী ফল হ'ল—নৱাগত আৰ্য্য আৰু পূৰ্ব্বাগত অনাৰ্য্যসকলৰ মাজত সংঘৰ্ষ আৰু সংগ্ৰাম। নৱবীৰ্য্যশালী আৰ্য্যৰ হাতত অনাৰ্য্যসকল ক্ৰমে ক্ৰমে পৰাভূত হবলৈ ধৰিলে। তেওঁলোকৰ অধিকাংশই দক্ষিণৰ পিনে আঁতৰি গ'ল, সিবিলাকক আজিও দ্ৰাবিড় নামে জনা যায়। তাৰে যিসকল আৰ্য্যসকলৰ লগতে থাকিল তেওঁলোকে আৰ্য্যসকলৰ দাসত্ব স্বীকাৰ কৰিলে। বেদত এই সংঘৰ্ষক দেৱাসুৰৰ যুদ্ধ ৰূপে অভিহিত কৰা হৈছে। সেই বিষয়ে অনেক আখ্যান আছে।

অনাৰ্য্যসকলৰ পুৰ-ধ্বংসকাৰী আৰ্য্য ৰজা জনাই পুৰন্দৰ নামে খ্যাত হ'ল। অৱশ্যে নিয়তিৰ নিয়মমতে উপৰোক্ত সংঘৰ্ষ আৰু সংগ্ৰামৰ ফলত দুয়ো জাতিৰ কৃষ্টিৰ যথেষ্ট সমন্বয় ঘটিল। অকল কৃষ্টিতে নহয়, জীৱন ধাৰণৰ বৈদিক পদ্ধতিতো দুয়ো জাতিয়ে দুয়োৰো ওপৰত প্ৰভাৱ বিস্তাৰ কৰিলে। পূজা-পদ্ধতি আৰু আনকি দেৱতাৰ নামতো [illegible] প্ৰভাৱ [illegible]। [illegible] অনাৰ্য্যৰ পশুপতি দেৱতাই (ৰুদ্ৰ-[illegible] পশুপতি, [illegible] আদি নামেৰে খ্যাত, সেই দেৱতাজনে) আৰ্য্য দেৱতামণ্ডলীৰ মাজত [illegible] [illegible] [illegible] [illegible] আছে।

[illegible]

এনেদৰে শিপাইছিল যে তেওঁলোকেও তেওঁকেই সৃষ্টি-সংহাৰকাৰী মহেশ্বৰ বুলি আখ্যা দিলে। এই তিনিওজনকে পৰম ব্ৰহ্ম নাৰায়ণৰ অংশ বুলি ধৰা যায়। পৰম ব্ৰহ্ম সম্পৰ্কে এই তিনিও দেৱতা সদায় সজাগ আৰু সতৰ্ক। তেওঁলোকে নিজ নিজ কৰ্তব্য কৰি যিখিনি আহৰি পায় সেই সময়খিনিত পৰম ব্ৰহ্মৰ ধ্যানত নিৰত থাকে। ব্ৰহ্মাৰ আহৰি অতি কম, তেওঁ সৃষ্টি-কাৰ্য্যত অবিৰাম লাগি থাকিব লাগে। বিষ্ণুৰ তেওঁতকৈ অলপ অধিক আহৰি, প্ৰজা পালনত তেওঁ ব্যস্ত থাকে। মহেশ্বৰ বা শিৱৰ কিন্তু কত সহস্ৰ বছৰৰ শেষতহে সৃষ্টি সংহাৰ কৰিবৰ সময় আহে। সেই হেতুকে তেওঁৰ অৱসৰ যথেষ্ট। তেনে সুযোগ পাই তেওঁ অনাদি কাৰণ পৰম ব্ৰহ্ম নাৰায়ণৰ ধ্যানতেই প্ৰায় মগ্ন থাকে। সেই কাৰণে তেওঁ শ্ৰেষ্ঠ ব্ৰহ্মজ্ঞানী আৰু নাৰায়ণৰ সৈতে একাত্মৰূপে পৰিগণিত হবলৈ ধৰিলে। লোকসমাজত 'হৰি-হৰ আত্মা' বোলা কথাটো সেই কাৰণে প্ৰখ্যাত।

মহাদেৱৰ এনে অৱসৰলৈ লক্ষ্য কৰিয়ে জনসমাজে তেওঁক অতি আপোন-ভাৱে লৈ তেওঁৰ ওপৰত নানা ধৰণৰ কীৰ্ত্তি-কলাপ আৰোপ কৰি আমোদ লভিবলৈ ধৰিলে। ব্ৰহ্মা, বিষ্ণু বা অন্য দেৱতাক তেওঁলোকে দূৰৰ পৰাই ভয় আৰু ভক্তিৰে প্ৰণাম জনায় আৰু সমীহ কৰি চলে, মহাদেৱক কিন্তু আসৈ পাই লাহে লাহে নিজৰ কাষলৈ টানি আনি নিজৰে এজন হিচাপে লব বিচাৰে। তেনেকৈয়ে তেওঁ হৈ পৰিল গণদেৱতা বা লোকদেৱতা।

মহাদেৱ আৰ্য্য-অনাৰ্য্যৰ উভয়েৰে পূজ্য দেৱতা। অৰ্থাৎ তেওঁ আৰ্য্য-অনাৰ্য্য দুয়োবিধ গুণৰ সংমিশ্ৰণ বা সমন্বয় স্বৰূপ। সেইবাবে তেওঁ ভূতনাথ, শ্মশানচাৰী, ফণভূষণ, হলাহলপায়ী, মহাকাল, মহাভৈৰৱ, দেৱাদিদেৱ, সৃষ্টি-সংহাৰী আদি নামেৰে বিভূষিত।

মানৱ জাতিৰ আদিম অৱস্থাৰেপৰা পৃথিৱীৰ নানা ঠাইত প্ৰজনন শক্তিক ৰূপত যোনি আৰু শিৱ পূজা চলি আহিছে। আৰ্য্য আৰু অনাৰ্য্যসকলো সেই শক্তি আৰু প্ৰতীকৰ ওপৰত আস্থা আছিল। [illegible]

নপৰে, বিশেষতঃ তেওঁ অনাৰ্য্য-সম্ভৱ, লাজ-ভয় একো নাই। তেওঁক মাত্ৰাই স্পৰ্শ নকৰে। গতিকে লিঙ্গই তেওঁৰ প্ৰতীক হ'ল। সেয়েহে শিৱলিঙ্গ আৰু জ্যোতিৰ্লিঙ্গ মহাদেৱৰেই প্ৰতীকৰূপে পূজিত হবলৈ ধৰিলে। শিৱলিঙ্গৰ পূজা অৰ্চনাত সেই দেখিছে ভক্তসকলে মনলৈ কোনো প্ৰকাৰ লৌকিক ভাব নানে আৰু তাকেই ভক্তিভাবে স্বয়ং শিৱ বুলি সেৱা কৰে। একেজন দেৱতাই কেনেকৈ ইমানবোৰ লৌকিক-অলৌকিক আৰু অতিলৌকিক গুণৰ আধাৰ ৰূপে থাকি লোকদেৱতাৰ আসন গ্ৰহণ কৰিছে—ভাবিলে আচৰিত হব লাগে!

শিৱ-শঙ্কৰ-ভোলানাথ

আগতে উল্লেখ কৰা হৈছে যে সৃজন, পালন আৰু সংহাৰৰ কাৰণে হিন্দু ধৰ্মত তিনিজন পৃথক পৃথক দেৱতা আছে, তেওঁলোকেই হ'ল ক্ৰমে ব্ৰহ্মা বিষ্ণু আৰু মহেশ্বৰ। তেওঁলোক তিনিওকে একেলগে ত্ৰিমূৰ্ত্তি নামেৰে জনা যায়। এই তিনিওজন দেৱতাৰ বিষয়ে হিন্দু শাস্ত্ৰত অলেখ আখ্যান উপাখ্যান আছে। আকৌ ধৰ্মশাস্ত্ৰৰপৰা নিগৰি আহি সেইবোৰে জনসমাজত পুনঃ স্বয়ংসম্পূৰ্ণ স্বকীয় কাহিনীৰো সৃষ্টি কৰিছে। জনসমাজত বহুলভাৱে বিয়পি থকা তেনে অসংখ্য কাহিনীৰ ৰজা হ'ল—মহেশ্বৰ বা শিৱ।

শিৱৰ জন্ম আৰু কুল নাই বুলি তেওঁক স্বয়ম্ভু আৰু কুলেশ্বৰ নামেৰেও জনা যায়। জন্ম নোহোৱাৰ অৰ্থ এই যে সাধাৰণ জীৱ-জন্তু, মানুহ বা দেৱতাৰ জন্ম হোৱাৰ দৰে তেওঁৰ জন্ম হোৱা নাছিল। তেওঁ আপোনা খুচিতে জন্ম লাভ কৰিছিল। তেওঁ কাৰপৰা বা ক'ৰপৰা জন্ম লাভ কৰিছিল সেইটো নানা শাস্ত্ৰত নানাভাৱে দিয়া আছে। শূন্যপুৰাণৰমতে আদিতে দিগ্‌বিদিক নেদেখা অন্ধকাৰত ভ্ৰাম্যমান আদি-প্ৰভুৰ ঘামৰপৰা আদ্যা-শক্তিৰ জন্ম হ'ল। প্ৰথম যৌৱনৰ চাঞ্চল্যত তেওঁ এদিন 'বিষমধু' পান কৰিলে।* তাৰ ফলত তেওঁৰ গৰ্ভত তিনি দেৱতাৰ স্থিতি হ'ল, ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰ বা সদাশিৱ। তেওঁৰ মুখেদি ব্ৰহ্মা, নাভিয়েদি বিষ্ণু আৰু যোনিপথেদি সদাশিৱ নিৰ্গত হ'ল। কোনো কোনো পুৰাণৰ মতে তেওঁ ব্ৰহ্মাৰ কপালৰপৰা উদ্ভৱ হৈছিল আৰু জন্মিয়েই ৰোদন কৰিছিল বুলি তেওঁৰ নাম ৰুদ্ৰ। তেওঁৰ নামবোৰৰ প্ৰত্যেকটোৱে একো একোটা আখ্যানৰ সৃষ্টি কৰিছে। মহামুনি ভৰতে কোৱা মতে য'ত সমস্ত মঙ্গল বিদ্যমান অথবা যি সকলো অশুভ খণ্ডন কৰে তেওঁ শিৱ বা য'ত অণিমাদি অষ্ট ঐশ্বৰ্য্য অৱস্থিত তেৱেঁই শিৱ—'শিৱং কল্যাণং বিদ্যতেহস্য শিৱঃ, শ্যতি অশুভমিতি বা শেৰতেহৱতিষ্ঠন্তে অণিমাদয়োহষ্টগুণা অস্মিন্ ইতি বা শিৱঃ' (ভৰত)। শিৱৰ জন্মকাহিনী আৰু নামবোৰ সেইবাবে অতিশয় ৰহস্যপূৰ্ণ।

---

* 'বিষমধু' পানৰ অৰ্থ সঙ্গম-সুখ লাভ।

শিৱৰ সহস্ৰ নাম, আৰু প্ৰত্যেকটো নামেই বিশেষ অৰ্থসূচক। সচৰাচৰ ব্যৱহাৰ হোৱা তাৰে কিছুমান, যেনে—শম্ভু, শূলী, ঈশ, হৰ ; ভৱ, ভীম, মহেশ্বৰ, ৰুদ্ৰ, শংকৰ, ঈশান, ঈশ্বৰ, ভূতেশ, গিৰিশ, পিনাকী, জটাধৰ : ধূৰ্জটি, ত্ৰ্যম্বক, বিশ্বেশ্বৰ ; চন্দ্ৰমৌলি, মৃত্যুঞ্জয়, গঙ্গাধৰ: কৃত্তিবাস, নীলকণ্ঠ ; মহাদেৱ, শিতিকণ্ঠ : বামদেৱ, বিৰূপাক্ষ ; ত্ৰিলোচন, বিশালাক্ষ : বৃষধ্বজ, উমাপতি ; ব্যোমকেশ, পশুপতি : পঞ্চানন, দিগম্বৰ ; নটৰাজ, চন্দ্ৰশেখৰ : আশুতোষ, বৃষধ্বজ ; শূলপাণি, বৃষভধ্বজ : ভোলানাথ, নন্দীশ্বৰ ; ত্ৰিপুৰাৰি শূলধৰ : অষ্টমূৰ্ত্তি, ভূতনাথ ; ভৈৰৱ, বিশ্বনাথ : কাশীনাথ, চন্দ্ৰশেখৰ ; দেৱাদিদেৱ, কুলেশ্বৰ : ত্ৰিপুৰান্তক, নন্দিবৰ্দ্ধন ; পিনাকপাণি, ত্ৰিনয়ন– ইত্যাদি। এইবোৰৰ বাহিৰেও জনসাধাৰণে তেওঁক আৰু গোটাচেৰেক প্ৰিয় নাম দিছে ; যেনে, বুঢ়া-গোসাই, বলিয়া—গোসাই, ভাঙৰা, জটীয়া-ভাঙৰা ইত্যাদি।

শিৱৰ অৱস্থিতি বেদ, উপনিষদ আদিৰ যুগৰপৰাই আছে। বেদত বিজন ৰুদ্ৰ, ৰামায়ণ, মহাভাৰত আৰু পুৰাণ আদিত তেৱেঁই শিৱ। ঋগ্বেদত তেওঁক মৰুৎসকলৰ পিতৃ বোলা হৈছে। এই মৰুৎসকলক ধুমুহাৰ সৃষ্টিকৰ্ত্তা অসুৰ বুলি কল্পনা কৰা হয়। ইহঁতৰ কাৰোবা প্ৰতীক বৃষভৰ দৰে, কাৰোবা সিংহৰ দৰে। শিলাবৃষ্টি-ধুমুহা হলে আকাশত সিংহৰ গৰ্জ্জন বা বৃষভৰ হেম্বেলনিৰ দৰে আৱাজ হয়। সেই আৱাজৰ সৃষ্টিকৰ্ত্তা মৰুৎসকল বুলি কল্পনা কৰা হৈছিল আৰু সেই মৰুৎসকলৰেই পিতা বা নায়ক আছিল ৰুদ্ৰ। মুঠতে মৰুতৰ পৰাই ৰুদ্ৰৰ প্ৰথম কল্পনা। তেওঁ সদায় ৰোদন (গৰ্জ্জন) কৰে বাবে ৰুদ্ৰ, তেওঁ সৰ্ব্বদা সৰ্ব্বত্ৰগামী আৰু নৃত্যৰত, নটৰাজ। আনহাতে তেওঁ গৰ্জ্জন বা নৃত্য কৰিয়ে ক্ষান্ত নাথাকে বিজুলীয়ায়ো ; সেইবাবে তেওঁ বিদ্যুৎগৰ্ভ। অগ্নিও বিদ্যুতৰ দৰে ধ্বংসকাৰী আৰু ভয়ানক। অগ্নিকো সেইহেতুকে কোনো কোনো ঠাইত ৰুদ্ৰৰূপে আহ্বান কৰা হৈছে। অগ্নিৰ বতাহত নাচি থকা শিখাই হ'ল ৰুদ্ৰৰ জটা, কৃষ্ণ-নীলবৰ্ণ কান্তিয়ে হ'ল (নীলকণ্ঠৰ) নীল বৰণীয়া গ্ৰীৱা আৰু শক্তিয়ে (সপ্তশিখাই) হ'ল সম্পূৰ্ণ ৰুদ্ৰ। পণ্ডিত মেক্সমুলাৰৰ মতে আকৌ ৰুদ্ৰৰ অন্য নাম 'ভৱ' আৰু সেই 'ভৱ' আৰু গ্ৰীক সূৰ্য্যদেৱতা ফোবাচ (Phoebus) অভিন্ন। প্ৰভাতৰ সূৰ্য্যই ব্ৰহ্মা, মধ্যাহ্নৰ সূৰ্য্যই বিষ্ণু আৰু সায়াহ্নৰ সূৰ্য্যই ৰুদ্ৰ। যেনেকৈ ৰুদ্ৰৰ সূৰ্য্য-কিৰণৰ অন্য নাম ৰৌদ্ৰ। ৰামায়ণ আৰু মহাভাৰতৰ আখ্যানবোৰে

সূৰ্য্যৰপৰাই বিভিন্ন দেৱতাৰ কল্পনা লোকতে মনলৈ আনিছিল। তাৰ পিছত ক্ৰমে শিৱত্ব প্ৰাপ্ত হোৱাত ৰুদ্ৰ নিজে পশুপতি হৈছিল আৰু সেই পশুপতিৰ প্ৰতীক আজিও পণ্ডিতসকলে মহেঞ্জোদাৰোৰ ধ্বংস-স্তূপত দেখিবলৈ পাইছে। মূঠতে ৰুদ্ৰয়ে বেদৰ বিভিন্ন ক্ষেত্ৰত অগ্নি, ইন্দ্ৰাদি বিভিন্ন অৰ্থত প্ৰকাশ পাইছে। পুৰাণতো উগ্ৰমূৰ্ত্তি শিৱই ৰুদ্ৰৰূপে বিৰাজ কৰিছে—'ততঃ কপালী লোকেশ খ্যাতো ৰুদ্ৰো ত্ৰিশূলি' (বামন পুৰাণ)।

পুৰাণত কোৱামতে শিৱ সঙ্গীতাচাৰ্য্য, তাণ্ডৱ নৰ্ত্তক আৰু বিষাণ (শিঙা-বাদ্য) বাদক। তাণ্ডৱ দেৱতা অথবা তাণ্ডৱসকলৰেই দেৱতা—এই অৰ্থত তেওঁক মহাদেৱ বোলা হয়—'মহতাং দেৱতানাং দেৱঃ ইতি'। অৰ্থাৎ ব্ৰহ্মাদি দেৱতাসকল আৰু ব্ৰহ্মবাদী মুনিসকলৰো যি দেৱ তেৱেঁই মহাদেৱ। সদাশিৱৰ মহাদেৱ নাম কিদৰে হ'ল তাৰো আখ্যান আছে।

'ব্ৰহ্মাদীনাং সুৰাণাঞ্চ মুনীনাং ব্ৰহ্মবাদিনাং
তেষাঞ্চ মহতাং দেৱো মহাদেৱো প্ৰকীৰ্ত্তিতঃ।'

মহাদেৱৰ মুখ পাঁচখন; সেইহেতুকে তেওঁৰ অন্য এটা নাম পঞ্চানন। কথিত আছে যে জন্মৰ সময়ত তেওঁৰো মুখ এখন মাত্ৰ আছিল। বিষ্ণু ভগৱানৰ কিশোৰ ৰূপ অতিশয় আকৰ্ষণীয় আছিল। ত'কে চাবলৈ ব্ৰহ্মা অনন্ত আদি বহুবক্ত্ৰ দেৱতাসকলো উবাতু খাই দৌৰি গৈছিল। তাকে দেখি মহাদেৱৰো বিষ্ণুৰ মোহনীয় ৰূপটো চাবলৈ হাবিয়াস হ'ল আৰু তেৱোঁ উলহ-মালহেৰে গৈ বিষ্ণুৰ কাষ চাপিল। তাত ব্ৰহ্মাদি বহুবক্ত্ৰ দেৱতাসকলক দেখি তেওঁৰ মনত ঈৰ্ষা উপজিল। তেওঁ ভাবিলে—হায়! মোৰো একাধিক মুখ আৰু চকু থকা হলে ময়ো আজি ভগৱান বিষ্ণুৰ এই অপৰূপ সৌন্দৰ্য্য আৰু বেছি ভালকৈ উপভোগ কৰিব পাৰিলোঁহেঁতেন! তেনেকৈ ভবাৰ লগে লগে তেওঁৰ মুখৰ ওচৰতে আৰু চাৰিখন মুখ চাৰিও ফালে ওলাই আহিল। চাই থাকোঁতে থাকোঁতে তেওঁ একবক্ত্ৰ শিৱ ভুচি পঞ্চানন মহাদেৱ হৈ পৰিল। তেওঁৰ তেতিয়া ক্ৰমণৰ মানস হ'ল। অন্ত-ৰ্য্যামী বিষ্ণুৱে সেইটো জানিব পাৰি ভকতৰ প্ৰীতিৰ বাবে নিজেই বৃষৰূপ ধাৰণ কৰি তেওঁক ক্ষেত্ৰৰ পিঠিত তুলি ললে আৰু চিৰাদিনত বাহন হৈ থাকিল। সেইদিন ধৰি বৃষভক বিষ্ণু-ভগৱান জ্ঞান কৰি হিন্দুসকলে পূজা কৰিবলৈ ধৰিলে।

মহাদেৱৰ এটা নাম আশুতোষ। যিয়ে যি দিয়ে তাতেই তেওঁ তৎক্ষণাৎ তুষ্ট হয়; কোনে কি দিলে তালৈ তেওঁৰ বিশেষ মনকাণ নাই। এবাৰ গৰুড় পক্ষীৰ ভয়ত কিছুমান সাপে পলাই তৎমৎ নাপাই মহাদেৱত আশ্ৰয় লৈছিল। আশুতোষ ভোলানাথেও সেই আশ্ৰিত সাপবোৰক গৰুড়ৰ হাতৰ-পৰা ৰক্ষা কৰিবৰ কাৰণে নিজেই সিহঁতক গায়ে-মূৰে মেৰিয়াই ললে। তেতিয়াৰেপৰা সেই কেইটা সাপে তেওঁক এৰা দিয়া নাছিল। সেইবাবে মহাদেৱ সৰ্পভূষণ, সৰ্পালঙ্কাৰ। ইয়াৰ পাছত এবাৰ পিছে গৰুড় গৈছিল মহাদেৱৰ ওচৰলৈ। সেই পলৰীয়া সাপকেইটাই মহাদেৱৰ ডিঙিত ওলমি থাকি গৰুড়লৈ কেৰেপ নকৰি ফেঁট তুলি ফেঁচ-ফোঁচাই উঠাত গৰুড়ে কৈছিল— 'হেৰ' শ্বাপ, তোৰ প্ৰভাৱ মোৰ জনা আছে; ইয়াকেই কয়, গাত বল থাকিলেই বল নহয়, থলৰ বলেহে বল; কাৰণ থলৰ বলত কাপুৰুষো বলী হৈ পৰে—পোতা পুথুৰীত বাকেই বজা—

> 'জানামি ৰে সৰ্প তব প্ৰভাৱং
> কণ্ঠস্থিতো গৰ্জ্জসি শঙ্কৰস্য
> স্থলং প্ৰধানং, ন বলং প্ৰধানং
> স্থানে স্থিতো কাপুৰুষোঽপি সিংহঃ।'

শিৱৰ অন্য নাম কপালী। এই নামটোৰ লগতো এটা কাহিনী জড়িত আছে। বামন পুৰাণত আছে—পূৰ্ব্বে সমস্ত জগৎ জলমগ্ন আছিল। নিৰঞ্জন ভগৱান সেই অনন্ত সাগৰত তাহি শয়নমগ্ন হৈ আছিল। এবাৰ তেওঁ হঠাৎ সাৰ পাই উঠিল। সৃষ্টি কৰিবলৈ তেতিয়া তেওঁৰ মন গ'ল। তেওঁ তেতিয়া পাঁচখন মুখেৰে ব্ৰহ্মাক আৰু পাঁচখন মুখেৰে শিৱক সৃষ্টি কৰিলে। কিন্তু কৰিলে কি হব? দুয়ো হ'ল—ঘোৰ ব্ৰহ্মচাৰী, এজনৰ হাতত বেদ আৰু কমণ্ডলু, আনজনৰ হাতত ত্ৰিশূল। তেতিয়া ভগৱানে ভাবিলে, এওঁলোকৰ মনত অহঙ্কাৰ নুপজিলে মমতা মনলৈ নাহে। মমতা নহলে সংসাৰ নহয়। গতিকে দুয়োৰো মনত তেওঁ বাককৈয়ে অহঙ্কাৰ দিলে। ফলত দুয়োৰো মাজত কন্দল লাগিল। তাতে এদিন অতিশাতে কৰি উঠাত শঙ্কৰে ব্ৰহ্মাক আক্ৰমণ কৰিলে আৰু কুমিত বগৰাই লৈ তীখাৰ নখেৰে তেওঁৰ এটা মূৰ ছিঙি পেলালে। ব্ৰহ্মা তেতিয়া চতুৰাননহে হৈ ৰ'ল। সেই [illegible] ধৰি ব্ৰহ্মা চতুৰ্মুখ।

পিছে, তেন্তে এৰিলেও বোলে কৰ্প টিয়ে নেবে। মাতৃবধী পৰশুৰামৰ কুঠাৰ হাতত লাগি ধৰাৰ দৰে ব্ৰহ্মাৰ ছিন্নমস্তকো হৰৰ হাতত লাগি থাকিল। তেতিয়াৰেপৰা শিৱৰ অন্য এটা নাম হ'ল কপালী। কপাল শব্দৰ এটা অৰ্থ মূৰৰ খোলা। ব্ৰহ্মাৰ মূৰৰ খোলা তেওঁৰ হাতত লাগি ধৰি আছিল বুলি তেওঁৰ নাম হ'ল কপালী। পিছত বিষ্ণুৰ উপদেশমতে অনেক তীৰ্থ পৰ্য্যটন কৰি, তীৰ্থ-জলত স্নান, তৰ্পণাদি কৰি ফুৰোঁতে কোনো এখন তীৰ্থত তেওঁৰ হাতৰপৰা ব্ৰহ্মাৰ মূৰৰ খোলা এৰি পৰিছিল। সেই তীৰ্থৰ নাম 'কপাল মোচন' তীৰ্থ হয়। ই হিমালয়ৰ মধ্যদেশত অৱস্থিত।

মহাদেৱৰ অন্য এটা বিখ্যাত নাম ত্ৰিপুৰাৰি। তিনিখন পৃথক নগৰত তিনিটা দুৰ্ভেদ্য দুৰ্গ সাজি বাস কৰা তিনিটা অজেয় অসুৰক বধ কৰি তেওঁ এই নাম পাইছিল। তাৰকাসুৰৰ তিনিটা পুত্ৰ আছিল, নাম, তাৰকাক্ষ, কমলাক্ষ আৰু বিদ্যুন্মালী। তিনিও কঠোৰ তপস্যাৰ দ্বাৰা ব্ৰহ্মাক তুষ্ট কৰি বৰ লভিছিল—যেন তিনিও পৃথক পৃথক তিনিখন নগৰ (পুৰ) পাতি বাস কৰিব পাৰে, যেন তাত সকলো প্ৰকাৰ অভীষ্ট বস্তু সহজে পোৱা যায়, যেন সেই নগৰ তিনিখন যক্ষ, ৰক্ষ, দানৱ, মানৱ কোনেও ধ্বংস কৰিব নোৱাৰে, যেন ব্ৰহ্মশাপতো সি নষ্ট নহয় আৰু যেন এহেজাৰ বছৰৰ অন্তত্তহে তিনিও ভাই লগ লগাৰ পিছত তেওঁলোক কোনোবা সৰ্ব্বশ্ৰেষ্ঠ দেৱতাৰ হাতত নিহত হয় আৰু সিও হব লাগিব একেপাত অস্ত্ৰৰ দ্বাৰা। ব্ৰহ্মাৰ বৰ পাই তাৰকাসুৰৰ তিনি পুত্ৰই দৈত্যসকলৰ কাৰিকৰ ময়দানৱৰ দ্বাৰা তিনিখন নগৰত তিনিটা দুৰ্গ নিৰ্মাণ কৰালে; এটা সোণৰ, এটা ৰূপৰ আৰু তৃতীয়টো লোহাৰ। সেই তিনিওটাত ক্ৰমে তাৰকাক্ষ, কমলাক্ষ আৰু বিদ্যুন্মালী—এই তিনিও থাকিবলৈ ললে। তাৰকাক্ষৰ পুত্ৰেক হৰিয়ে পুনঃ ব্ৰহ্মাৰ বৰ লভি প্ৰত্যেকটো দুৰ্গতে একোটাকৈ মৃত-সঞ্জীৱনী সৰোবৰ নিৰ্ম্মাণ কৰিলে। এই সঞ্জীৱনী সৰোবৰত মৃত দৈত্যবোৰক জুবুৰিয়ালে পুনৰ্জীৱিত হয়। এই পুনৰ্জীৱিত দৈত্যবোৰৰ উপদ্ৰৱত দেৱতাসকল অস্থিৰ হৈ পৰিল। দেৱতা-সকল অস্থিৰ হৈ পৰিল। তেওঁলোকে তেতিয়া ব্ৰহ্মাৰ শৰণ ললে। ব্ৰহ্মাই তেওঁলোকক শিৱৰ ওচৰ চাপিবলৈ কলে। শিৱক আৰাধনা কৰাত শিৱই তুষ্ট হৈ দেৱতাসকলৰ প্ৰত্যেকৰে আধা আধা বল শক্তি লোৱাৰ ফলত তেওঁ নিজে 'মহাদেৱ' হ'ল আৰু পাৰ্ব্বতী ... [illegible]

তেওঁলোকৰ দুৰ্জ্জয় ত্ৰিপুৰ সহ ধ্বংস কৰিলে। তেতিয়াৰেপৰা শিৱৰ নাম মহাদেৱ আৰু ত্ৰিপুৰাৰি হ'ল।

বাণ, ৰাৱণ, শাম্ব আদি ৰজাসকল পৰম শিৱভক্ত ৰজা আছিল। শিৱই তেওঁলোকক পাৰ্থামানে আশ্ৰয় প্ৰদান কৰি ৰক্ষা কৰিছিল। বাণ ৰজাৰ জীয়াৰী উষাক শ্ৰীকৃষ্ণৰ নাতি অনিৰুদ্ধ কোঁৱৰে হৰণ কৰাৰ সময়ত শিৱ আৰু শ্ৰীকৃষ্ণৰ মাজত তয়াময়া ৰণ হৈছিল। এনে সংঘৰ্ষৰ অন্তৰালত শৈৱ আৰু বৈষ্ণৱৰ মাজত উপস্থিত হোৱা বিৰোধ আৰু সংগ্ৰামৰো ইঙ্গিত পোৱা যায়।

এসময়ত জটাধাৰী শঙ্কৰে গঙ্গাক নিজৰ জটাৰ মাজতে যোগবলেৰে বন্ধ কৰি ৰাখিছিল। এই ঘটনায়ো যোগীৰাজ শিৱৰ যোগশক্তিৰ পৰিচয় দিয়ে। বাল্মীকি ৰামায়ণৰ বালকাণ্ডত এই ঘটনাৰ বৰ্ণনা পোৱা যায়। ভগীৰথে তেওঁৰ পিতৃকুল উদ্ধাৰৰ অৰ্থে ব্ৰহ্মাৰ কমণ্ডলুৰপৰা গঙ্গাক মৰ্ত্ত্যলৈ নমাই আনিছিল। গঙ্গাই তেতিয়া কৈছিল যে তেওঁৰ গতিবেগ ধাৰণ কৰি যদি কোনোবাই তেওঁক অপ্ৰতিহত গতিত অবিৰাম বৈ যাব দিব পাৰে তেনেহলে মৰ্ত্ত্যলৈ নামি অহাত তেওঁৰ আপত্তি নাই। ভগীৰথে তেওঁৰ পিতৃকুল উদ্ধাৰৰ অৰ্থে তাকে কৰিবলৈ গাত লৈ গঙ্গাক নমাই আনিলে। স্বৰ্গৰপৰা নামি আহোঁতে গঙ্গাই বাটত য'তে যি পায় তাকে ভাঙি-ভোহাৰি লৈ মাটি-বালি ফেনে-ফোটোকাৰে বৈ আহিবলৈ ধৰিলে। মহাদেৱ সেই সময়ত হিমাচলৰ গিৰি-কন্দৰত ধ্যানমগ্ন হৈ বহি আছিল। দৈৱাৎ গঙ্গাও সেই পিনেদিয়ে নামি আহি শঙ্কৰৰ জটাৰ ওপৰত উঠিল। শঙ্কৰে ধ্যানৰ বলতে সকলো বুজিব পাৰি গঙ্গাৰ দৰ্প চূৰ্ণ কৰিবৰ অভিপ্ৰায়ে যোগবলেৰে জটা বিস্তাৰ কৰি দি গঙ্গাক জটাৰ মাজতে লুকাই ৰাখিলে। অশেষ যত্ন কৰিও গঙ্গা শঙ্কৰৰ জটাৰপৰা মুক্ত হব নোৱাৰিলে। তেওঁৰ সকলো চেষ্টা বিফল হ'ল। তেতিয়া তেওঁ একান্তমনে শঙ্কৰক স্তুতি কৰিবলৈ ধৰিলে। তাতে ভোলানাথ তুষ্ট হ'ল আৰু গঙ্গাক নিজৰ জটাৰপৰা উলিয়াই দিলে। গঙ্গা বৈ আহি সাগৰত পৰিলহি। গঙ্গাৰ সেইবাবেই আন এটা নাম—শঙ্কৰ-মৌলি-নিবাসিনী।

মহাদেৱৰ ধনুখনৰ নাম পিনাক আছিল কাৰণে তেওঁৰ আন এটা নাম পিনাকী বা পিনাক-পাণি। এনেদৰে ভাৰতত [illegible] তেওঁৰ নাম [illegible]। [illegible] তেওঁৰ [illegible] যোগ।

তিনিটা চকু সহ বিৰূপ হৈ থকা বাবে তেওঁ বিৰূপাক্ষ; ত্ৰিনেত্ৰ বিশিষ্ট বাবেই আকৌ ত্ৰিনয়ন বা ত্ৰিলোচন; যোগবলেৰে মৃত্যুক জয় কৰিছিল হেতুকে তেওঁ 'মৃত্যুঞ্জয়', জটাজুট হেতু 'কপৰ্দী'; সাগৰ মন্থনৰ সময়ত ব্ৰহ্মাৰ স্তুতিত তুষ্ট হৈ জগৎ ধ্বংসকাৰী হলাহল পান কৰি তেওঁ হৈছিল— 'নীলকণ্ঠ'; নৃত্য-কলাৰ উদ্ভাৱক বুলি তেওঁৰ নাম 'নটৰাজ'।

মহাদেৱৰ তিনিটা চকু কেনেকৈ হ'ল সেই বিষয়েও একাধিক আখ্যান আছে। এবাৰ পাৰ্ব্বতীয়ে ধেমালিৰ ছলেৰে মহাদেৱৰ দুয়োটা চকু হাতেৰে ঢাকি ধৰিছিল। তেতিয়া হেনো সমগ্ৰ জগৎ ক্ৰমাৎ তিমিৰাচ্ছন্ন হৈ আহিছিল আৰু সেই অন্ধকাৰত জীৱ-জন্তুবোৰ ধ্বংস হবৰ উপক্ৰম কৰিছিল। তেতিয়া মহাদেৱে প্ৰাণীপুঞ্জৰ হিতৰ কাৰণে নিজৰ কপালতে তৃতীয় নয়নৰ সৃষ্টি কৰি বিশ্বক জ্যোতি দান কৰিছিল। সেই জ্যোতি গোলকৰ ইমান প্ৰখৰ আছিল যে সি যি বস্তুতে পৰিছিল তাকে ভেই-পুৰি নিছিল। সন্মুখতে দণ্ডায়মান হৈ থকা হিমালয় পৰ্ব্বতত সেই দৃষ্টি পৰাত পৰ্ব্বতখন একেবাৰে পোৰা ছাই হৈ যাবলৈ ধৰিলে। পাৰ্ব্বতীয়ে তেতিয়া ত্ৰিনয়নক কাতৰভাৱে প্ৰাৰ্থনা জনোৱাত ত্ৰিনয়নে তুষ্ট হৈ কমণ্ডলুৰ পানী ছটিয়াই পুনঃ হিমালয় পৰ্ব্বতক সজীৱ আৰু সেউজীয়া কৰি তুলিছিল।

অন্য এবাৰ মহাদেৱে গায়কৰ তাণ্ডৱ ধৰা বিৰ নদীয়া হৈছিল। তেতিয়া নাৰদে ভাৱিছিল যে তেওঁ সৰ্ব্বশ্ৰেষ্ঠ গায়ক। তেনে অহংকাৰৰ কথা জানিব পাৰি ৰাগ-ৰাগিনীবোৰ ক্ষুণ্ণ হৈ পৰিছিল। নাৰদৰ সেই গৰ্ব্ব খৰ্ব্ব কৰিবৰ কাৰণে সিহঁতে আলোচনা কৰি এদিন আবিৰ দাতৃত বিকলাঙ্গ ৰূপ ধৰি কান্দিবলৈ ধৰিলে। প্ৰিয় ৰাগ-ৰাগিনীবোৰৰ তেনে অৱস্থা দেখি নাৰদৰ মনত শোক উপজিল। তেওঁ ৰাগ-ৰাগিনীবোৰক তেওঁলোকৰ তেনে অৱস্থা হোৱাৰ কাৰণ কি সুধিলে। উত্তৰত ৰাগ-ৰাগিনীবোৰে কলে যে নাৰদে শুদ্ধ সুৰত ৰাগ-ৰাগিনীবোৰ গাব নজনা বাবে নাৰদৰ হাতত পৰিহে তেওঁলোকৰ তেনে অৱস্থা হৈছে। লগতে ইয়াকো কলে যে [illegible] সাধনা কৰি শুদ্ধ [illegible] সুৰত ৰাগ-ৰাগিনীবোৰ [illegible] গাব [illegible] তেওঁলোক পুনঃ [illegible] হৈ পৰিব। [illegible] [illegible] কৰিলে আৰু [illegible] [illegible]
[illegible]

বুলি কলে। তেতিয়া সকলোৱে আ..চ কৰি ব্ৰহ্মা আৰু বিষ্ণুক শ্ৰোতা পাতিলে। যথাসময়ত সপ্তস্বৰত মহাদেৱৰ মধুৰ গীত আৰম্ভ হ'ল। সেই গীত ইমান সুমধুৰ হৈছিল যে গীতৰ অপূৰ্ব্ব মূৰ্চ্ছনাত স্বয়ং বিষ্ণুও বিগলিত হৈছিল। এই বিগলিত বিষ্ণুৱে গঙ্গা। ব্ৰহ্মাই বিষ্ণুৰ সেই বিগলিত জল (চকু লো ?) কমণ্ডলুত ভৰাই সযতনে ৰাখিছিল। ডি. এল. ৰায়ৰ এটা গীতত গঙ্গাৱতৰণৰ মধুৰ বৰ্ণনা পোৱা যায়; তাত অৱশ্যে নাৰদকহে সেই সুমধুৰ গীতৰ গায়ক বুলিছে। গীতটো এনে,

নাৰদ-কীৰ্ত্তন পুলকিত মাধব, বিগলিত করুণা ঝৰিয়া;
ব্ৰহ্ম-কমণ্ডলু উচ্ছলি ধূৰ্জটি, জটিল জটাভৰ ক্ষৰিয়া।
অম্বৰ হইতে সমশত ধাৰে, জ্যোতি প্ৰপাত তিমিৰে;
নামি ধৰায় হিমাচল মূলে মিলিলে সাগৰ সঙ্গে।

তীৰৰ গঢ়াব ৰবে মহদেৱৰ ত্ৰিশূল তেওঁৰ প্ৰতীক স্বৰূপ। সেই হেতু-কেই মহাদেৱৰ অন্য নাম ত্ৰিশূলী বা শূলপাণি। বেলপাতবোৰো ত্ৰিশূলৰ দৰে ত্ৰিপত্ৰ-বিশিষ্ট। সেইবাবে বেলপাত হেনো মহাদেৱৰ অতিশয় প্ৰিয় বস্তু। বেলপাত নহলে শিৱ-পূজা নহয়। এটা গল্প আছে যে ভুজবল নামে এটা চোৰে এদিন চুৰ কৰিবলৈ গৈ বেলৰ গছত উঠি আছিল। তেওঁৰ হাতত লাগি অকস্মাতে গোটাচেৰেক বেলপাত মাটিত সৰি পৰিছিল। দৈৱাৎ সেই মাটিতে শিৱলিঙ্গ আছিল। শিৱলিঙ্গ শিৱৰ প্ৰতীক বুলি আগতে কোৱা হৈছে। শিৱলিঙ্গত বেলপাত পৰাত মহাদেৱ তুষ্ট হ'ল। পিছে, মৃত্যুৰ পাছত এই ভুজবল চোৰক শিৱৰ দূতে শিৱভক্ত বুলি যমৰ নিকাৰৰপৰা ৰক্ষা কৰিছিল। যিদিনা ভুজবল চোৰে বেলৰ গছত উঠিছিল সেইদিনা আছিল শিৱ-চতুৰ্দ্দশী তিথি। সেই হেতুকে ভক্তসকলে আজিও শিৱ-চতুৰ্দ্দশীৰ দিনা শিৱৰ নামত বেলপাত নিবেদন কৰে। এই ঘটনাটো ওজাপালিয়ে এটি মালচী গীতত এইদৰে গায়—

দিহা—[illegible]-বৰ-দণ্ডৱতে

[illegible]-বৰ-দণ্ডৱতে

[illegible] ভব [illegible] পাৰে, [illegible] বাবা ভোলানাথ।

পদ— মহাদেৱৰ [illegible] [illegible]ত [illegible] হোৱে [illegible]

[illegible] [illegible] চোৰে কি [illegible] [illegible]।

গাল-বাদ্য বেলপাত ভোল হৈলা ভোলানাথ
পৰম যতনে নিহালয় ॥
সিংহ-ব্যাঘ্ৰৰ ভয় পাই বেলগাছত উঠিল যাই
শিৱৰাত্ৰি চতুৰ্দ্দশী দিনে।
চোৰে ছিণ্ডা মুক্তাৰ পাত বেলপত্ৰ পৰিল গাত
তাক লৈলা আপুনাৰ গুণে ॥
বৃষভ বাহন হৰ হে প্ৰভু দিগম্বৰ
মাথাই ধৰিছা জটা-ভাৰ।
হস্তত ডমৰু শূল জগতৰ আদিমূল
ভক্তজনক কৰিছা উদ্ধাৰ ॥
সাগৰ মন্থন কাল উঠিল বিষ হলাহল
সেই বিষ তুমি কৈলা পান।
কবি হৰিদাসে কয় এৰঙ্গা চৰণ তলে
তোমাৰ হৈলা নীলকণ্ঠ নাম ॥

বৰ দান কৰাত মহাদেৱ আছিল সদা-সৰ্ব্বদা মুক্তহস্ত। মন কৰিবলগীয়া কথা এই যে এই বৰবোৰ কেতিয়াবা কেতিয়াবা অপাত্ৰত পৰি অনিষ্ট পইমাল ঘটাইছিল। বৃকাসুৰৰ কাহিনী তাৰে এটা নমুনা। হৰ-পাৰ্ব্বতীৰ বিয়া শিতানত এই কাহিনীৰ বৰ্ণনা দিয়া হৈছে। অপাত্ৰত বৰ দিয়াত ব্ৰহ্মাও তেনেই কম নাছিল। হিৰণ্যকশিপু, ৰাৱণ আদিৰ কাহিনীত সেইটো ধৰা পৰে। পিছে সদাশিৱে যে সদায় অপাত্ৰতহে বৰ দিছিল এনে নহয়; সৎপাত্ৰতো যোগ্য জনৰ ওপৰত তেওঁৰ বৰ প্ৰদত্ত হৈছিল। তাৰো এটা উদাহৰণ হৈছে—কিৰাতৰূপধাৰী অৰ্জ্জুনক পাশুপত অস্ত্ৰ দান। এই ঘটনাটো সৰ্ব্বজনবিদিত। পাণ্ডৱে ভবিষ্যতৰ কুৰু-পাণ্ডৱৰ যুদ্ধ সম্ভাৱনালৈ চাই দিব্য অস্ত্ৰ আহৰণৰ কাৰণে যত্ন কৰিছিল। অজ্ঞাতবাসৰ সময়ত বনত থাকোঁতে অৰ্জ্জুনে শিৱৰ মূৰ্ত্তি সাজি তেওঁক পূজা-সেৱা কৰি শৰ-সন্ধান কৰিছিল। অৰ্জ্জুনৰ তপৰ প্ৰভাৱ পৰীক্ষা কৰিবৰ কাৰণে এদিন হৰ-পাৰ্ব্বতীয়ে হাতত ধনু-শৰ লৈ আৰু মূৰত ময়ূৰৰ পাখি পিন্ধি কিৰাত-কিৰাতীৰ বেশত সেই অৰণ্যৰ এমূৰত দেখা দিলেহি। ইতিমধ্যে এটা দৈত্যই বৰাহৰ ৰূপ ধৰি অৰ্জ্জুনক তপস্যাত ব্যাঘাত জন্মাবলৈ ধৰিলে। অৰ্জ্জুনে তেতিয়া সেই বৰাহটোলৈ শৰ

নিক্ষেপ কৰিলে। সেই একে সময়তে কিৰাত বেশী মহাদেৱেও বৰাহলৈ শৰ সন্ধান কৰিলে। বৰাহ নিহত হ'ল ; কিন্তু কাৰ শৰত নিহত হ'ল তাকে লৈ কিৰাত আৰু অৰ্জ্জুনৰ মাজত প্ৰথমে তৰ্ক হ'ল আৰু তাৰ পাছত যুদ্ধ লাগিল। যুদ্ধত অৰ্জ্জুনে নিক্ষেপ কৰা শৰবোৰ কিৰাত ৰূপী শঙ্কৰে মুখ মেলি গিলি খবলৈ ধৰিলে। অৰ্জ্জুন অলপ স্তম্ভিত হ'ল। তেওঁ কলে 'ৰহ, খন্তেক ৰহ, কিৰাত ; মই মোৰ ইষ্টদেৱতা শিৱক পূজা কৰি লওঁ, তাৰ পাছত তোৰ পখৰাধুন বাহিৰ কৰিম।' এই বুলি তেওঁ ফুলৰ মালা শঙ্কৰৰ মূৰ্ত্তিত অৰ্পণ কৰি সেৱা জনালে। কি আচৰিত কথা—সেই ফুলৰ মালাই গৈ কিৰাতৰ ডিঙি শোভা কৰিলে। অৰ্জ্জুনে কিৰাতলৈ চাই দেখিবলৈ পালে কিৰাত নহয়, কিৰাত-বেশী শঙ্কৰহে। তেওঁ বিস্ময়ত অভিভূত হৈ সাষ্টাঙ্গে প্ৰণাম জনালে। শঙ্কৰে তেতিয়া অৰ্জ্জুনক পাশুপত অস্ত্ৰ দান কৰি তাক বৰ, মিত্ৰ আৰু জগৎ-হিতাৰ্থে মাত্ৰ ব্যৱহাৰ কৰিবলৈ উপদেশ দিলে। অৰ্জ্জুনেও সেই আজ্ঞা শিৰত লৈ তাক আনকি কুৰুক্ষেত্ৰৰ মহাসমৰতো ব্যৱহাৰ কৰা নাছিল।

এইদৰে দেৱতাসকলৰ ভিতৰতো মহাদেৱ আটাইতকৈ অধিক আকৰ্ষণীয়। তেওঁ নানান বিপৰীত গুণৰ আধাৰ। কাৰ্য্যতো তেওঁ বিচিত্ৰ, কেতিয়াবা যুৱক কেতিয়াবা আকৌ বৃদ্ধ, কেতিয়াবা যোগী কেতিয়াবা ভোগী, কেতিয়াবা মহাজ্ঞানী যতী, কেতিয়াবা ভঙুৱা পগলা। মানুহে কালেহিও তেৱেঁই ৰুদ্ৰ (ভয়ানক), তেৱেঁই শিৱ (মঙ্গলময়), তেৱেঁই মহাকাল (সকলোকে সংহাৰ কৰোঁতা), তেৱেঁই পশুপতি (জীৱৰ পালক)। তেওঁ [illegible] আৰু দিনৰ কিন্তু 'তেওঁৰ' সকিত "[illegible] ৰক্ষক" [illegible] [illegible]। [illegible] নাই, 'মহাদেৱৰ [illegible] [illegible] [illegible] [illegible] [illegible] এবাৰ "মহাদেৱৰ" [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible]

নিন্দিলেও মানুহৰ মাৰ ভই ছলি ।।
ভোগ খাই খাই তোৰ বাঢ়িছে লুখৰি ।
আজি দাড়ি-গোঁফ তুলি ভাঙিবো থুঁতৰি ।।
জুটুলা-জুটুলি ভোৰোকাৰ ভাঙিলয় ।
ৰুদ্ৰৰূপী ভীমে কোছা কোছে উজলয় ।।

* * *

এহিমতে গদাৰে খেলিয়া বৃকোদৰ ।
কুবেৰক লৈয়া পাইলা কৈলাস শিখৰ ।।
দেখি মহাদেৱে চাহে বিস্ময়ে নিৰেখি ।
কোনে ধৰি বান্ধি মোৰ আনে প্ৰাণ সখি ।।
কুবেৰে বোলয় ধন নাৰাখিবো আৰ ।
গৰখীয়া পঠায়া চিন্তিলা মোৰ মাৰ ।।' ইত্যাদি

ভীম চৰিতত মহাবীৰ ভীমক শিৱৰ গৰখীয়া ৰূপে দেখুৱা হৈছে। আকৌ শিৱৰ বিয়াৰ সময়ত ভীম আছিল ভাৰী। তাৰো বৰ্ণনা সুকবি নাৰায়ণদেৱৰ বিৰচিত সুকনান্নী পুথিত পোৱা যায়। সময় বিচাৰ কৰি চালে ঘটনাবোৰ দেখাদেখিকৈয়ে অসমঞ্জস আৰু অসঙ্গত, কাৰণ ভীম হ'ল ত্ৰেতা যুগৰ বীৰ আৰু মহাদেৱ কোনোবা সত্যযুগৰ দেৱতা। লোককথাত কিন্তু এনে অসঙ্গতিয়ে কাহিনীত বিশেষ বিচ্যুতি নঘটায়। ইও কাহিনীৰ জনপ্ৰিয়তাৰহে সাক্ষী দিয়ে। এই হেন জনপ্ৰিয় দেৱতা ভোলানাথৰ গুণ বৰ্ণাই তিৰোতাসকলে গীতও গায়—

'এ শূলপাণি ডমৰু ধৰিছা হাতে—
শূলপাণি, গঙ্গাক নচাইছা মাথে।' ইত্যাদি

আৰু 'এ সদাশিৱ এ তুমি ত্ৰিপুৰাৰি ;
জগতক বৰ দিয়া, আপুনি ভিকাৰী।
এ সদাশিৱ তোমাৰ শিৰে জটা ;
জগতক দিছা বৰ আপুনি নাঙঠা।
এ সদাশিৱ এ তোমাৰ শিৰে ফণী ;
গলতো [illegible]।' ইত্যাদি
[illegible] শিৱ [illegible]

ওপৰত তেওঁ ধ্যানমগ্ন যতি; যোগীন্দ্ৰ। দ্বিতীয় স্তৰত তেওঁ গৃহী অথচ দেৱতা, স্ত্ৰী-পুত্ৰ-কন্যাদি তেওঁৰ আছে। তৃতীয় স্তৰত তেওঁ জনসমাজৰ সকলো লোকৰ লগত একাকাৰ হৈ পৰিছে; তেওঁ কৃষক, ভগুৱা, নটুৱা ভিক্ষুক আৰু আনকি পগলাও। এনে এজন দেৱতাৰ কল্পনাও কম আকৰ্ষণীয় নহয়! সঁচাকৈ তেওঁ নামে-কামে মহাদেৱ।

স্বয়ং সুৰেশঃ শ্বশুৰো নগেশঃ
সখা ধনেশঃ তনয়ো গণেশঃ।।
তথাপি ভিক্ষাং কুৰুতে মহেশঃ
ললাটে বহ্নিৰয়মেব শেষঃ।।

সতী-গৌৰী-পাৰ্ব্বতী

কালিকা-পুৰাণৰ মতে জ্যোতির্ময় পৰমব্ৰহ্মৰপৰাহে ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰৰ জন্ম হয়। ব্ৰহ্মা আৰু বিষ্ণুই সৃষ্টি আৰু স্থিতিৰ কাৰণে নিজ নিজ শক্তি গ্ৰহণ কৰি কৰ্ত্তব্যত লাগি গ'ল কিন্তু মহেশ্বৰ হলে তেতিয়াও নিৰ্ব্বিকাৰ, নিৰালম্ব! তেওঁ যোগধ্যানত তন্ময় হৈয়ে থাকিল।

ব্ৰহ্মাই সৃষ্টি কৰি উঠি এবাৰ সৃষ্টিৰ জীৱ-জন্তবোৰলৈ হেপাহেৰে চালে। তেওঁ নিজ কন্যা সন্ধ্যাৰ অপৰূপ ৰূপ-লাৱণ্য দেখি নিজেই মোহ গ'ল আৰু তেওঁৰ প্ৰতি অনুৰাগ প্ৰদৰ্শন কৰিলে। মহাদেৱে ব্ৰহ্মাৰ এই দুৰ্ব্বলতাৰ কথা কেনেবাকৈ উমান পাইছিল। তেওঁ তেনে কাৰ্য্যৰ বাবে ব্ৰহ্মাক গৰিহণা দিলে। তাতে ব্ৰহ্মা লজ্জিত হ'ল আৰু কেনেকৈ তেওঁ যোগীন্দ্ৰ ধূৰ্জটিকো প্ৰকৃতিৰ লগত সাঙুৰি দি এদিন লটিঘটি কৰিব পাৰে তাৰ বাবে চেষ্টা চাই ফুৰিবলৈ ধৰিলে।

ভালেমান দিনৰ পিছত এদিন সাবিত্ৰী সহ ব্ৰহ্মা আৰু লক্ষ্মী সহ বিষ্ণু মহাদেৱৰ ওচৰত উপস্থিত হ'ল। তেওঁলোকে মহেশ্বৰক কলে যে তেওঁ দাৰপৰিগ্ৰহ নকৰিলে সৃষ্টিত ব্যাঘাত হব, গতিকে দাৰপৰিগ্ৰহ কৰিব লাগে। 'তেনে মোক এনে এজনী কন্যা চাই দিয়া যি মই যোগযুক্ত হলে যোগিনী আৰু মই কামাসক্ত হলে মোহিনী হৈ সদা-সৰ্ব্বদা মোৰ সহচৰী হৈ থাকিব।' শুনি ব্ৰহ্মা আৰু বিষ্ণুৱে সেই ধৰণৰ পাত্ৰী [illegible] সন্ধানত লাগি গ'ল।

ব্ৰহ্মাই আদি-ঠিক স্থিৰ কৰিলে যে বিষ্ণুমায়া [illegible]

তিনি সহস্ৰ বছৰ তপস্যা কৰি দেৱীক তুষ্ট কৰিলে। মহামায়াই তেওঁক দেখা দি কলে—'তোমাৰ মনোবাঞ্ছা পূৰ্ণ কৰিবৰ কাৰণে মই তোমাৰ কন্যা-ৰূপে জন্ম গ্ৰহণ কৰিম সঁচ, কিন্তু এটা কথা, তুমি যিদিনাই মোক অনাদৰ বা অৱজ্ঞা কৰা সেই দিনাই মই তনু ত্যাগ কৰিম।'

যথাসময়ত দক্ষ প্ৰজাপতিৰ পত্নী বীৰিণীৰ গৰ্ভত মহামায়াই জন্মগ্ৰহণ কৰিলে, নাম হ'ল সতী। অতিশয় সৎ স্বভাৱৰ আছিল হেতুকেই সতী নাম ৰখা হ'ল। লাহে লাহে সতী শৈশৱ এৰি কৈশোৰ আৰু কৈশোৰ এৰি যৌৱনত ভৰি দিলেহি। মাকৰ উপদেশমতে তেওঁ মহাদেৱক পতি পাবলৈ সদায় পূজা-আৰাধনা কৰিবলৈ ধৰিলে। তাতে আশুতোষ শঙ্কৰ তুষ্ট হ'ল। তেওঁ সতীৰ ওচৰলৈ আহিল। সতীৰ অনিন্দ্যসুন্দৰ ৰূপযৌৱন দেখি ভোলানাথো তেনেই বিভোল হ'ল। সতীৰ বৰ-প্ৰাৰ্থনা শেষ নোহওঁতেই তেওঁ নিজে যেনাই কবলৈ ধৰিলে—'হে সুন্দৰী, তুমি মোৰ ভাৰ্য্যা হোৱা, তুমি মোৰ ভাৰ্য্যা হোৱা।' আৰাধ্য দেৱতাৰ মুখৰ পৰা এনে কথা ওলোৱা দেখি সতীয়ে জীৱন সাৰ্থক মানিলে। তেওঁ লাজুকীলতাৰ দৰে নম্ৰতাত জঁয় পৰি গ'ল; মুখেৰে এবাৰ মাত্ৰ কথা ওলাল—'তেন্তে আপুনি মোৰ পিতা; মাতাক খোজা-বচা কৰি মোক দেশৰ দস্তুৰমতে বিয়া কৰাই লওক।' মহাদেৱে 'তথাস্তু' বুলিলে আৰু তাতে কৈ তেওঁ অন্তৰ্দ্ধান হ'ল; সতীও মাকৰ ওচৰলৈ উভতিল।

সতীৰ বিৰহত মহাদেৱ তেতিয়া ব্যাকুল হৈ পৰিল। তেওঁ গৈ ব্ৰহ্মাক নিজৰ মনৰ কথা কলে। ব্ৰহ্মাই ভাবিলে—বাৰু ভালেই হ'ল, মোৰ মনোৰথ অচিৰে পূৰ্ণ হ'ব। ব্ৰহ্মাই তেতিয়া গৈ দক্ষক শিৱৰ মনোভাব জনালে। দক্ষৰ মনত উলাহ লাগিল। সেই সময়তে দেৱতাসকলেও গৈ দক্ষক সেই কাৰ্য্যত বিপুল উৎসাহ দিলে। দক্ষই সকলোৰে পৰামৰ্শমতে অতি শীঘ্ৰ মহাদেৱলৈ সতীক সম্প্ৰদান কৰিলে। প্ৰকৃতি-পুৰুষৰ মিলন ঘটিল। এইদৰে কিছুকাল গ'ল।

প্ৰজাপতি দক্ষই এবাৰ এটা যজ্ঞ পাতিলে। সেই যজ্ঞলৈ সকলো দেৱতা নিমন্ত্ৰিত হ'ল, নহ'ল মাত্ৰ মহাদেৱ। তেওঁ শ্মশানবাসী কপালী, সভিকে উজাই বহয়, এয়ে হ'ল দক্ষৰ ধাৰণা। সেইবাবে তেওঁ জোঁৱায়েক শিৱকে নহয়, ঘৰৰ জীয়েক সতীকো নিমন্ত্ৰণ নকৰিলে। সতীয়ে পূজনীয় পিতাকৰ এনে অবিচাৰ আৰু দুৰ্ব্যৱহাৰ সহ্য কৰিব নোৱাৰি যোগবলেৰে শৰীৰৰ

সকলো বাৰ বোধ কৰি কুম্ভক কৰিলে। সেই মহাকুম্ভকত তেওঁৰ প্ৰাণবায়ু ব্ৰহ্মৰন্ধ্ৰ ভেদ কৰি নিৰ্গত হ'ল। (ভাগৱতৰ মতে সতীয়ে দক্ষৰ যজ্ঞস্থলীতহে দেহ ত্যাগ কৰিছিল।) অইন এটা মত এই যে—সৰ্বতাকৈয়ে সতীয়ে যজ্ঞলৈ যাবলৈ শিৱৰ অনুমতি বিচাৰিলে। শিৱ অমত হোৱাত সতীয়ে 'দশ মহাবিদ্যাৰূপে' এটা এটাকৈ নিজৰ স্বৰূপ প্ৰকাশ কৰিলে। তাতে শিৱই শঙ্কাযুক্ত হৈ তেওঁক যজ্ঞলৈ যাবলৈ দিলে।

সেই সময়ত মহাদেৱ মানস সৰোবৰৰপৰা উভতি আহিছিল। বাটতে তেওঁ সতীৰ দেহ-ত্যাগৰ কথা শুনিলে। কৈলাস পাই তেওঁ সতীৰ মৃতদেহ দেখি ক্ৰোধত জ্বলি উঠিল আৰু বীৰভদ্ৰাদি অনুচৰসকলৰ সহায়ত দক্ষ-যজ্ঞ লণ্ডভণ্ড কৰি সতীৰ মৰা-শ কান্ধত লৈ বাতুলৰ দৰে দেশে বিদেশে ভ্ৰমণ কৰিবলৈ ধৰিলে।

মহাদেৱে সেইদৰে কৰ্ত্তব্য-ভ্ৰষ্ট হৈ ভ্ৰমি ফুৰিলে সৃষ্টি নৰয়। গতিকে দেৱতাসকলৰ মন্ত্ৰণাত ব্ৰহ্মা, বিষ্ণু আৰু শনিয়ে তেতিয়া মায়া কৰি সতীৰ মৃত দেহত প্ৰৱেশ কৰিলে আৰু তাক ভিতৰৰপৰা খণ্ড খণ্ডকৈ কাটি দিলে। সতীৰ অঙ্গবোৰ তেতিয়া বিভিন্ন ঠাইত পৰি ৰবলৈ ধৰিলে। য'ত য'ত সেই অঙ্গবোৰ পৰিল তাতেই এ:কা একোখন মহাপীঠ নিৰ্ম্মাণ হ'ল। মহাদেৱৰ হাতৰপৰা সতীৰ শৰীৰ নাইকিয়া হোৱাত তেওঁ আকৌ যোগ-ধ্যানত বহিল।

ইফালে হিমালয়ৰ (হেমন্ত মুনিৰ) ভাৰ্য্যা মেনকাই সেই সময়ত পুত্ৰ-কামনা কৰি সুদীৰ্ঘ সাতাইচ বছৰ কাল মহামায়াক ধ্যান কৰিছিল। তাতে দাক্ষায়নী তুষ্ট হৈ তেওঁৰ সন্মুখত উপস্থিত হোৱাত মেনকাই কলে—'মোক শত পুত্ৰ আৰু এজনী কন্যা লাগে।' ভগৱতীয়ে তেতিয়া তেওঁৰ মনস্কামনা পূৰ্ণ কৰি নিজেই মেনকাৰ গৰ্ভত কন্যাৰূপে জন্ম ধৰিলেহি। হিমালয়ে তেওঁৰ নাম থলে কালী, বন্ধুসকলে তেওঁক বুলিলে পাৰ্ব্বতী, অৰ্থাৎ পৰ্ব্বত-কন্যা অথবা পৰ্ব্বত-বাসিনী। কালিকা-পুৰাণৰ মতে পাৰ্ব্বতী জন্মোতে গৌৰবৰ্ণা নাছিল; বিয়াৰ পাছত মহাদেৱে এদিন ধেমালিৰ ছলেৰে 'ভিন্না-ঞ্জনতাবলে কালি' বুলি তেওঁক উৰ্ব্বশী আদি অপ্সৰাসকলৰ আগত সম্বোধন কৰাত তেওঁ মনত মৰ্ম্মান্তিক বেজাৰ পাইছিল। সেই অপমান দূৰ কৰিবলৈ তেওঁ ব্ৰহ্মাৰ উপদেশ মতে তপস্যা কৰি পুনঃ মহাদেৱৰেই কান্তা হ'ব বুলি আৰু তেওঁৰ নিৰ্দ্দেশত আকাশী গঙ্গাত স্নান কৰি গৌৰাঙ্গিনী

গৌৰবৰ্ণা' হয়। অন্য পুৰাণতো সেই কথা তেনেকৈ পোৱা যায়। কালিদাসৰ মতেও পাৰ্ব্বতী জন্মৰপৰাই গৌৰবৰ্ণা গৌৰী।

উদ্ভিন্নযৌৱনা পাৰ্ব্বতীৰ ৰূপ-গুণৰ কথা মহাকবি কালিদাসৰ কুমাৰসম্ভৱ কাব্যত বিতোপনভাৱে বৰ্ণোৱা আছে। কালিদাসে কৈছে—চন্দ্ৰকলা বঢ়াৰ দৰে দিনে দিনে পাৰ্ব্বতীও বাঢ়ি আহিবলৈ ধৰিলে—'দিনে দিনে সা পৰিবৰ্দ্ধমানা লব্ধোদয়া চান্দ্ৰমসীৱ লেখা'। যেনেকৈ নিপুণ চিত্ৰকৰৰ তুলিৰ আগত চিত্ৰ উদ্ভাসিত হয় আৰু সূৰ্য্যৰ কিৰণ পৰি পদুম আপোনা-আপুনি বিকশিত হবলৈ ধৰে তেনেকৈ পাৰ্ব্বতীৰ ৰূপো দিনে দিনে চৰি আহিল।

উন্মীলিতং তুলিকয়েৱ চিত্ৰং সূৰ্য্যাংশুভিৰ্ভিন্নমিৱাৰবিন্দম্।
বভূৱ তস্যাশ্চতুৰস্ৰশোভি বপুৰ্বিভক্তং নৱযৌৱনেন ॥

(কুঃ সঃ)

তেতিয়া এদিন দেৱৰ্ষি নাৰদে আহি পাৰ্ব্বতীক পিতাক গিৰিৰাজৰ ওচৰত দেখিবলৈ পাই কৈছিল—'এই কন্যাই এদিন মৃত্যুঞ্জয় মহাদেৱকো অন্তৰ জয় কৰি তেওঁৰ অৰ্দ্ধাঙ্গিনী হব পাৰিব।' মহাদেৱৰ নাম শুনি পাৰ্ব্বতীৰ মনৰ মাজত বিজুলী চমকিছিল।

সেই সময়ত মহাদেৱে হিমালয়ত তপস্যা কৰি আছিল। পিতৃৰ আদেশ লৈ পাৰ্ব্বতীয়ে গৈ তপোমগ্ন হৰক তেওঁৰ পৰিচৰ্য্যা কৰিবলৈ অনুমতি খুজিলে। মহাদেৱে তপস্যাৰ ঘোৰ পৰিপন্থী বুলি জানিও জিতেন্দ্ৰিয় শঙ্কৰে পাৰ্ব্বতীক তেওঁৰ শুশ্ৰূষা কৰিবলৈ অনুমতি দিলে; কাৰণ, চিত্ত-বিকাৰৰ হেতু বৰ্তমান থকা, যিসকলৰ চিত্ত বিকাৰগ্ৰস্ত নহয়, তেওঁলোকহে প্ৰকৃত ধীৰ পুৰুষ।

প্ৰত্যৰ্থিভূতামপি তাং সমাধেঃ শুশ্ৰূষমাণাং গিৰিশোঽনুমেনে।
বিকাৰহেতৌ সতি বিক্ৰিয়ন্তে যেষাং ন চেতাংসি ত এৱ ধীৰাঃ ॥

[illegible] (কুঃ সঃ)

[illegible] সেই [illegible]

কৰি সেই কাৰ্য্যত সহায় কৰিবলৈ ৰতি আৰু ৰতি-পতি কামদেৱকো আনি ললে। দেৱতাসকলৰ আহ্বানত হিমালয়ত অকাল-বসন্ত উপস্থিত হ'ল। চাৰিওফালে থকা গছ-গছনি ফলে-ফুলে জাতিকাৰ হৈ পৰিল আৰু বিবিধ বিহংগৰ কাকলি-কূজনত গিৰি-গহ্বৰ প্ৰতিধ্বনিত হবলৈ ধৰিলে। এনে সময়তে এদিন পাৰ্ব্বতীয়ে গৈ শিৱৰ চৰণত প্ৰণতি জনাইছিল। তাতে তেওঁৰ শিৰত শোভা কৰি থকা কুসুম-গুচ্ছ সৰি শিৱৰ চৰণত পৰিল। শিৱই তেতিয়া পাৰ্ব্বতীক আশীৰ্ব্বাদ দিলে—'তোমাৰ অনন্যভাজ পতি লাভ হওক অৰ্থাৎ তোমাৰ এনে পতি লাভ হওক যি তোমাত বাজে কেতিয়াও কাৰো ফালে কাম-ভাৱে নাচাব'। মহাদেৱৰ আশীৰ্ব্বাদ পাৰ্ব্বতীৰ ক্ষেত্ৰতো আখৰে আখৰে ফলিল। ভগৱানৰ কথা অলীক বা ব্যৰ্থয়ে বা হব কেনেকৈ?

অনন্যভাজং পতিমাপ্নুহীতি সা তথ্যমেবাভিহিতা ভৱেন।
ন হীশ্বৰব্যাহৃতয়ঃ কদাচিৎ পুষ্ণন্তি লোকে বিপৰীতমৰ্থম্ ॥

(কুঃ সঃ)

আশীৰ্ব্বাদ দি উঠি শিৱই অজ্ঞাতসাৰেই পাৰ্ব্বতীৰ মুখলৈ চালে। সেই সময়তে দুৰ্ব্বৰপৰা কামদেৱে শঙ্কৰলৈ সম্মোহন পুষ্পবাণ প্ৰহাৰ কৰিলে। উমাৰ মুখ আৰু বিম্বফলৰ দৰে ৰঙা অধৰ আৰু ওঁঠত হৰৰ চকু নিবিষ্ট হ'ল আৰু যেনেকৈ চন্দ্ৰোদয়ৰ লগে লগে সমুদ্ৰ কিঞ্চিৎ উদ্বেলিত হয় তেনেকৈ তেওঁৰো অলপ সংযম স্খলন হ'ল।

হৰস্তু কিঞ্চিৎ পৰিবৃত্ত-ধৈৰ্য্যশ্চন্দ্ৰোদয়াৰম্ভ ইবাম্বুৰাশিঃ।
উমামুখে বিম্বফলাধৰোষ্ঠে ব্যাপাৰয়ামাস বিলোচনানি।

(কুঃ সঃ)

মহাদেৱে তেওঁৰ ধৈৰ্য্য চ্যুতিৰ কাৰণ নিৰ্ণয় কৰিবলৈ চাৰিওপিনে চকু ফুৰাই চাই দেখিলে যে দূৰত মদনে এটা আঁঠুত [illegible] পুষ্পবাণ [illegible] কৰিব লাগিছে। শঙ্কৰৰ ক্ৰোধানল জ্বলি উঠিল আৰু তেওঁৰ তৃতীয় চকুৰ পৰা অগ্নি নিৰ্গত হবলৈ ধৰিলে। আকাশত থকা দেৱতাসকলে [illegible]—'হে প্ৰভো, ক্ৰোধ সম্বৰণ কৰক, ক্ৰোধ সম্বৰণ কৰক' বুলি [illegible] [illegible] [illegible] [illegible] [illegible] [illegible]।

ক্ৰোধং প্ৰভো। সংহৰ সংহৰেতি যাবদ্ গিৰঃ খে মৰুতাং চৰন্তি [illegible]
তাবৎ স [illegible] [illegible] [illegible] ।

[illegible]

হৰ তেতিয়াই তাৰপৰা অন্তৰ্দ্ধান হ'ল। পাৰ্ব্বতী লাজে অপমানে অভিভূতা হ'ল। তেওঁ নিজৰ ৰূপক ধিকাৰ দিবলৈ ধৰিলে, কাৰণ তেওঁ জানে যে প্ৰিয়জনক যি ৰূপে সন্তোষ দিব নোৱাৰে সেই ৰূপ ৰূপেই নহয়। দৈহিক সৌন্দৰ্য্যৰ দুৰ্ব্বল শক্তিৰ ওপৰত তেওঁৰ বিতৃষ্ণা জন্মিল—'নিনিন্দ ৰূপং হৃদয়েন পাৰ্ব্বতী, প্ৰিয়েষু সৌভাগ্যফলা হি চাৰুতা'। তেওঁ বুজিলে যে উচ্চ অভিলাষ পূৰণ কৰিব লাগিলে, অসাধ্য সাধন কৰিবলৈ হলে, কঠোৰ তপস্যাৰ প্ৰয়োজন। তেওঁ তপস্যালৈ যাবলৈ ওলাল। মাকে 'উ-মা, ('অ' নহয়) তুমি তপস্যালৈ যাব নালাগে' বুলি বাধা দিছিল আৰু সেই বাবেই তেওঁৰ নাম 'উ-মা' (উ-মেতি মাত্ৰা তপসো নিষিদ্ধা, পশ্চাদুমাখ্যাং সুমুখী জগাম। (কুঃ সঃ)

পাৰ্ব্বতীয়ে তপস্যা আৰম্ভ কৰিলে। তেওঁৰ কঠোৰ তপৰ প্ৰভাৱত হৰ বোৱাৰি মহাদেৱে বটু ব্ৰহ্মচাৰীৰ ৰূপ ধৰি আহি কিয় তেনে তপস্যা কৰিছে সুধিলে। পাৰ্ব্বতীয়ে ব্ৰহ্মচাৰীৰ ওচৰত কথা হুলুকুৱাই শঙ্কৰক পতি পাবলৈ তেনে তপ কৰিছে বুলি কলে। তাতে তপস্বীয়ে আচৰিত ভাব দেখুৱাই শঙ্কৰক শ্মশানবাসী, ভঙুৱা, ভিকহু আদি নানাপ্ৰকাৰে ভৰ্ৎসনা কৰিবলৈ ধৰিলে। তেনে কুকথা শুনি থাকিব নোৱাৰি পাৰ্ব্বতী তাৰপৰা উঠি যাবলৈ উদ্যত হ'ল, কাৰণ মহাপুৰুষক যি নিন্দা কৰে তেৱেঁই অকল পাপত নপৰে, যি তেনে নিন্দা নীৰৱে শুনে তেৱোঁ পাপৰ ভাগী হয়—ন কেৱলং যো মহতোঽপভাষতে শৃণোতি তস্মাদপি যঃ স পাপভাক্'। তেতিয়া মহাদেৱে নিজ ৰূপ ধৰি পাৰ্ব্বতীৰ সন্মুখত থিয় হ'ল। পাৰ্ব্বতী লাজে-আনন্দে কি কৰিব থিৰ কৰিব নোৱাৰি আগুৱাব বা পিছুৱাব নোৱৰা হৈ—ন যযৌ ন তস্থৌ অৱস্থাত ৰ'ল, খৰস্ৰোতা নদীৰ পানীয়ে সন্মুখত ডাঙৰ শিল পালে যেনেকৈ ক্ৰমে স্ফীত হৈ আহে, আগলৈও বাব নোৱাৰে, বৈ থাকিবও নোৱাৰে, তেনেকৈ; 'মাৰ্গাচলব্যতিকৰাকুলিতেৱ সিন্ধুঃ, শৈলাধিৰাজতনয়া ন যযৌ ন তস্থৌ'।

হৰৰ মুখৰপৰা তেতিয়া ওলাই আহিল—হে অৱনতাঙ্গি, তুমি মোক তোমাৰ তপৰ প্ৰভাৱেৰে কিনি ললা। আজিৰপৰা মই তোমাৰ ক্ৰীতদাস হলোঁ—

অদ্য প্ৰভৃত্যৱনতাঙ্গি! তবাস্মি দাসঃ
ক্ৰীতস্তপোভিৰিতি ৱাদিনি চন্দ্ৰমৌলৌ।

অহ্নায় সা নিয়মজং ক্লমমুৎসসর্জ্জ
ক্লেশঃ ফলেন হি পুনর্নবতাং বিধত্তে ॥ (কুঃ সঃ)

এনেকৈ কোৱাত পাৰ্ব্বতীৰ সকলো তপ-ক্লেশ দূৰ হ'ল ; কাৰণ, ক্লেশ ফলৱতী হলে (দেহ বা মন) নতুনত্ব প্ৰাপ্ত হয় (অৰ্থাৎ নতুন উদ্যমেৰে প্ৰবৃত্ত হয়)। তাৰ পিছত আৰু কি? হৰ-পাৰ্ব্বতীৰ বিয়া হ'ল। তেওঁলোকৰ মিলনৰ ফলত কুমাৰৰ (কাৰ্ত্তিকৰ) জন্ম হ'ল। কাৰ্ত্তিকে সুৰ-শত্ৰু তাৰকাসুৰক নিপাত কৰিলে। দেৱতাৰ বহুদিনীয়া অভীষ্ট সিদ্ধি হ'ল।

হৰ-গৌৰীৰ বিয়াৰ কথা অসমীয়া লোক-সমাজত সুবিদিত। সেই বিষয়ে পৃথকে আলচ কৰা হৈছে। হৰই চন্দ্ৰক জটাত লৈ চন্দ্ৰশেখৰ নাম কিয় লৈছিল সেই বিষয়ে সংস্কৃতত এটা সাঁথৰ-শ্লোক আছে—বোলে,

গৌৰী নখৰ সংকাশং প্ৰদ্ধয়া শশিনং দধৌ।
ইহাপি গোপিতঃ কৰ্ত্তা বুদ্ধৈৰপি ন বোধ্যতে।

ইয়াত কৰ্ত্তা লুকাই আছে; সেইটো হৈছে 'ইহ' অৰ্থাৎ মদনহন্তা হৰ। শ্লোকৰ তাৎপৰ্য্য এই যে মদনাৰি মহাদেৱে শশীকলাক গৌৰীৰ নখ-চন্দ্ৰবৎ দেখি প্ৰেম আৰু শ্ৰদ্ধাৰ প্ৰতীকৰূপে কপালত পিন্ধি লৈছিল। ইয়াত কৰ্ত্তাক (ইহাক) লুকাই ৰখা হৈছে; জ্ঞানীসকলেও তাক নুবুজিব। 'ই' মানে মদন।

ইমানলৈ কালিকা-পুৰাণ আৰু কুমাৰসম্ভাৱৰ পাৰ্ব্বতীৰ জন্ম-কাহিনী আৰু হৰ-গৌৰীৰ মিলনৰ আভাস দিয়া হ'ল। অন্যান্য পুৰাণত এই কাহিনীৰ বৰ্ণনাৰ অলপ তাৰতম্য পোৱা যায়। মহাভাৰততো কাহিনীটো অলপ পৃথক ধৰণে বৰ্ণনা কৰা আছে। মহাভাৰতৰ মতে দক্ষ প্ৰজাপতিয়ে শিৱক যজ্ঞৰ ভাগ নিদিয়াত শিৱই নিজে যজ্ঞ নাশ কৰে। সতীৰ তনু-ত্যাগৰ কাহিনী তাত নাই। বৰাহ-পুৰাণত দক্ষযজ্ঞৰ যি বিবৰণ পোৱা যায় সেইমতে আকৌ দক্ষই ব্ৰহ্মাৰ প্ৰীতি সাধনৰ কাৰণেহে যজ্ঞ কৰিছিল আৰু সেই যজ্ঞলৈ সকলো দেৱতা আহিছিল, তাত নাছিল মাত্ৰ মহাদেৱ। মহাদেৱ সেই সময়ত জলমগ্ন হৈ তপস্যাত নিৰত আছিল। পিছত শিৱই দক্ষযজ্ঞৰ বাতৰি পাই খঙত জ্বলি উঠিল আৰু তৰ্জন-গৰ্জন কৰিবলৈ ধৰিলে। শিৱৰ সেই ক্ৰোধৰ নাকৰপৰাই বেতাল আৰু প্ৰেতযোনিৰ সৃষ্টি হ'ল। শিৱই সেইবোৰক লৈ যজ্ঞভাগ আদায় কৰিবৰ কাৰণে খেদি গ'ল। তাত তেওঁ

অনুচৰ ভূত-প্ৰেতাদিৰ সহায়ত দেৱতাসকলক পৰাস্ত কৰি যজ্ঞৰ ভাগ আদায় কৰিলে। ব্ৰহ্মাৰ আদেশত তেতিয়াহে শিৱলৈ দক্ষ প্ৰজাপতিয়ে নিজ কন্যা গৌৰীক দান কৰে আৰু তাতে শিৱ তুষ্ট হয়। এয়ে বৰাহ-পুৰাণৰ কাহিনী। লোকবিশ্বাস মতে সতীৰ মৃতদেহ কান্ধত লৈ মহাদেৱে বাতুল সদৃশ ঘূৰি ফুৰোঁতে স্বয়ং বিষ্ণুৱে সেই দেহ সুদৰ্শন চক্ৰেৰে একান্নখণ্ড কৰি কাটি পেলাইছিল আৰু সেইদৰেই সতীৰ একান্ন অঙ্গৰপৰা একান্নখন তীৰ্থৰ উৎপত্তি হৈছিল। ভাগৱতৰ মতে দক্ষৰ যজ্ঞস্থলতহে সতীয়ে দেহত্যাগ কৰিছিল বুলি আগতে উল্লেখ কৰা হৈছে। মুঠতে সতী-কাহিনী বিবিধ পুৰাণ আৰু ভাগৱতৰ সৃষ্টি; আৰু, মহাদেৱৰ যজ্ঞাংশ গ্ৰহণৰ সফল চেষ্টা অনাৰ্য্য দেৱতাৰ আৰ্য্য স্বীকৃতি লাভৰ এটি মনোহৰ ৰূপক মাত্ৰ।

(২)

পাৰ্ব্বতী নামৰ অৰ্থ একাধিক। পৰ্ব্বতৰাজ-দুহিতা বুলি তেওঁক পাৰ্ব্বতী বোলা হয় (পৰ্ব্বতো হিমাচলস্তস্য তদধিষ্ঠাতৃদেৱস্যেতি অপত্যং, অণ্ ততো ঙীপ্)। সেই অৰ্থতে তেওঁক শৈলাধিৰাজ-তনয়া, গিৰিৰাজ-তনয়া, গিৰিৰাজসুতা আদি নামেৰেও জনা যায়। তিথি, কল্প আৰু পৰ্ব্বভেদে যি বিখ্যাত হয় তেওঁকো পাৰ্ব্বতী বোলে। পৰ্ব্ব দিনবোৰত যিবোৰ মহোৎসৱ নিৰ্দ্দিষ্ট হৈছে সেইবোৰ মহোৎসৱৰ অধিষ্ঠাতৃ দেৱীও পাৰ্ব্বতী। 'পৰ্ব্বতৰাজ হিমালয়ৰ দুহিতা' বা 'পৰ্ব্বতবাসিনী আৰু পৰ্ব্বতৰ অধিষ্ঠাতৃদেৱী' বুলিও পাৰ্ব্বতী নামে অভিহিত হৈছে।

তিথিভেদে কল্পভেদে পৰ্ব্বভেদ-প্ৰভেদতঃ।
খ্যাতো ভেদু চ বিখ্যাতা পাৰ্ব্বতী তেন কীৰ্ত্তিতা॥
মহোৎসৱ বিশেষঞ্চ পৰ্ব্বমিত্যভিধীয়তে।
তত্ৰাধিদেৱী যা সা পাৰ্ব্বতী পৰিকীৰ্ত্তিতা॥
পৰ্ব্বতস্য সুতা দেৱী আবিৰ্ভূতা চ পৰ্ব্বতে।
[illegible]

[illegible]

উমা-গৌৰী-পাৰ্ব্বতীকেই দুৰ্গা নামেও জনা যায়। দুৰ্গ নামৰ দৈত্যক বধ কৰি তেওঁ দুৰ্গা নাম পাইছিল। দেৱীপুৰাণৰ মতে আকৌ স্মৰণ কৰা মাত্ৰকে তেওঁ ইন্দ্ৰাদি দেৱতাসকলক দুৰ্নিবাৰ শত্ৰু-সঙ্কটৰপৰা উদ্ধাৰ কৰিছিল হেতুকে তেওঁৰ নাম হ'ল দুৰ্গা—

'স্মৰণাদ্ভয়ে দুৰ্গে তাৰিতা ৰিপুসঙ্কটে।
দেৱাঃ শক্ৰাদয়ো যস্মাত্তেন দুৰ্গা প্ৰকীৰ্ত্তিতা ॥'

(দেৱীপুৰাণম্, ৩৭ অঃ)

দেৱীৰ কন্যা-ৰূপ আৰু গৃহিণী মাতৃৰূপ নানা কাব্যৰ আলোচ্য বিষয়। কিন্তু তেওঁ যেতিয়া দুৰ্গা, কালী, চামুণ্ডা আদি নাম লৈ অসুৰনাশিনী ৰূপে দেখা দিয়ে তেতিয়া তেওঁত আৰু কাব্য-সৌন্দৰ্য্য নাথাকে; তেতিয়া তেওঁ বিষ্ণু-শক্তি বা শিৱ-শক্তিৰ জাজ্বল্যমান প্ৰতিমূৰ্ত্তি হৈ পৰে আৰু কাব্য-ৰাজ্যৰপৰা ধৰ্ম্ম-ৰাজ্যলৈ বিদায় লয়। প্ৰকৃততে উমা-গৌৰী-পাৰ্ব্বতীক দুৰ্গা-তাৰা-কালীৰূপে ধাৰণা কৰি লবলৈ টান হৈ পৰে। অকল সিমানেই নহয়, বহুতৰ মতে দক্ষযজ্ঞৰ সতী আৰু হৰ-গৌৰী মিলনৰ গৌৰী বা পাৰ্ব্বতীও দুয়ো দুটা পৃথক কাহিনীৰ নায়িকা। সেই দুয়োটা কাহিনীক পুৰাণকাৰ মুনিসকলে সুন্দৰকৈ জোৰা দি এটা কাহিনী কৰি তুলিছে। এই একত্ৰীকৰণ পুৰাণসমূহ ৰচনা হোৱাতো বহু কাল পূৰ্ব্বে [illegible] কালিদাসেই তেওঁৰ বিশ্ববিখ্যাত কাব্য কুমাৰসম্ভৱত [illegible] কৰিছিল। দক্ষ-দুহিতা সতীয়েই যে গিৰিৰাজ-কন্যা উমা পাৰ্ব্বতী [illegible] কুমাৰ-সম্ভৱত কালিদাসে স্পষ্টকৈ কৈ গৈছে—

"অথাৱমানেন পিতুঃ প্ৰযুক্তা
দক্ষস্য কন্যা ভৱপূৰ্ব্বপত্নী।
সতী সতী যোগবিসৃষ্টদেহা
তাং জন্মনে শৈলবধূং প্ৰপেদে ॥" ([illegible])

[illegible]

শক্তিস্বৰূপা হৈ দুৰ্গা-ভদ্ৰা-কালী আদি নাম গ্ৰহণ কৰাত কাব্যৰ নাৰীসুলভ কমনীয়তা সম্পূৰ্ণৰূপে দূৰীভূত হৈছে আৰু তেওঁ দয়া, প্ৰেম, স্নেহ, কৰুণা আদিৰ আধাৰ নহৈ ভীতি, শক্তি, বীৰত্বাদিৰ নিধান হৈ পৰিছে। তেতিয়া তেওঁৰ নামো অসংখ্য হৈছে, যেনে, কালী, কাত্যায়নী, উমা, গৌৰী, শিৱা, হৈমৱতী, ৰুদ্ৰাণী, শৰ্ব্বাণী, ভৱানী, অপৰ্ণা, পাৰ্ব্বতী, সৰ্ব্বমঙ্গলা, চণ্ডিকা, অম্বিকা, শাৰদা, চণ্ডী, গিৰিজা, নাৰায়ণী, মহামায়া, বৈষ্ণৱী, মহেশ্বৰী, মহাদেৱী, মাধৱী, জয়ন্তী, দক্ষকন্যা, মহিষমৰ্দ্দিনী, সাবিত্ৰী, শুভঙ্কৰী, হিমালয়সুতা, মহেশ্বৰবণিতা, ভগৱতী, সনাতনী, মহাকালী, শিৱানী, মহালসা, হৰবল্লভা, ত্ৰিশূলা, ধৰিত্ৰী, উগ্ৰতাৰা, কামেশ্বৰী, মহালক্ষ্মী, ভৈৰৱী, অন্নপূৰ্ণা, ৰাজেশ্বৰী, যশোদা, কামৰূপা, যাদৱী, সত্যভামা, কৃষ্ণজায়া, দিগম্বৰী, তুলসী, মোহিনী, কমলা, কান্তা, বেদমাতা, সন্ধ্যা, দক্ষযজ্ঞবিনাশিনী, চক্ৰেশ্বৰী, চতুৰ্ভুজা, প্ৰজ্ঞা ইত্যাদি।

অসংখ্য নাম উল্লেখ কৰাত সকলো একাকাৰ হৈ পৰিছে যদিও আৰু উমা, গিৰিজা, পাৰ্ব্বতী, দক্ষযজ্ঞবিনাশিনী আদি নামে পূৰ্ব্বৰ কাহিনীবোৰৰ লগত দুৰ্গাৰ অবিচ্ছিন্ন সংযোগ স্থাপন কৰে যদিও 'চণ্ডী'ত স্পষ্টকৈ কোৱা আছে যে অসুৰ নাশৰ হেতু সকলো দেৱতাৰ তেজৰ ঘনীভূত ৰূপতহে দেৱীৰ আবিৰ্ভাব হৈছিল, অৰ্থাৎ দক্ষ বা হিমালয়ৰ লগত 'অসুৰ-নাশিনী দুৰ্গাৰ জন্মৰ' সম্বন্ধ নাই। এই সকলোবোৰ কথাৰ এইটো প্ৰতীয়মান হয় যে অন্ততঃ উমা-পাৰ্ব্বতী আৰু মহিষমৰ্দ্দিনী দুৰ্গা প্ৰথমে দুগৰাকী পৃথক দেৱী আছিল, শক্তিক মাতৃৰূপে অৰ্চনা কৰোঁতে কৰোঁতে কালক্ৰমত দুয়ো একত মিলি গ'ল। তেতিয়া পাৰ্ব্বতী গিৰিৰাজ-কন্যা হৈয়ে নাথাকিল, দুৰ্গা দেৱী হৈ কাত্যায়ন মুনিৰো কন্যাত্ব স্বীকাৰ কৰি কাত্যায়নী নাম ললে; আৰু জহ্নু মুনিৰ কন্যাত্ব স্বীকাৰ কৰি [illegible] জাহ্নবী নাম ধাৰণ কৰিলে।

সিংহবাহিনী [illegible] ৰূপ; বাস্তৱ পাৰ্ব্বতী দেৱী [illegible] সিংহবাহিনী [illegible]
[illegible]

আৰু তেৱেঁ। সিংহৰ দ্বাৰা পৰিৰক্ষিতা হৈ হাতত ৰাজদণ্ড ধৰি আছে। এইখিনিতে আৰু এটা মন কৰিবলগীয়া কথা এই যে মাতৃ শব্দৰ বেবিলনীয় প্ৰতিশব্দ 'উৰ্ম্মু' বা 'উম্ম' ; দ্রাবিড়ী [illegible]। এইবোৰ শব্দৰ লগত ভাৰতীয় 'উমা" শব্দৰ কিবা সম্বন্ধ থাকিলেও তাত আচৰিত হ'বলগীয়া একো নাই; কাৰণ ভাৰতীয় উমাও পৰ্ব্বতবাসিনী মাতৃদেৱীয়ে। জন্মৰ পিছত 'ওমা' 'ও-মা' কৈ কান্দিছিল হেতুকে 'উমা' নাম হ'ল, নতুবা মাকে যেনেকাই 'উ মা, তুমি আৰু তপস্যা কৰিব নালাগে' বোলা হেতুকেহে উমা নাম হ'ল বোলা কল্পনা কবিৰ সৃষ্টি যেনহে লাগে। সি যিয়েই নহওক, উমা-পাৰ্ব্বতী ভাৰতীয় লোকৰ চিৰ-পৰিচিত মাতৃদেৱী। উমা-গৌৰী তেনে মাতৃ মূৰ্ত্তিৰেই আদি অৱস্থা। গাঁও-ভূঁইত আজিও আঠ বছৰ বয়সত কন্যাদান কৰিলে তাক গৌৰীদান বোলে। শাস্ত্ৰীয় গৌৰী মাতৃৰ লগত ইয়াৰ সম্বন্ধ বৰ্ত্তমান।



হৰ-পাৰ্ব্বতীৰ বিয়া

আমি ইতিপূৰ্ব্বে পাই আহিছোঁ যে বেদোপনিষদৰ রুদ্র দেৱতাই পুৰাণ-ভাৰতৰ শিৱ। শিৱ বা মহাদেৱ হিন্দু সমাজৰ অতি প্ৰিয়, অতি আপোন, অতিশয় পূজনীয় দেৱতা। পূজনীয় দেৱতা অনেক থাকিব পাৰে, কিন্তু একাধাৰে প্ৰিয় আৰু পূজনীয় দেৱতা একমাত্ৰ মহেশ্বৰ বুলি কলেও সত্যৰ অপলাপ নহব। সেই হেতুকেই শিৱক লৈ যিমান কল্পনা-জল্পনা, আখ্যান আৰু উপাখ্যানৰ সৃষ্টি হৈছে, অন্য কোনো দেৱতাক লৈ হোৱা নাই। এই আখ্যান-বোৰত শিৱ দেৱতাক নানা প্ৰকাৰে সজোৱা হৈছে; দেৱতা হিচাপে তেওঁ কাৰবাক কেতিয়াবা বৰ দিছে, কেতিয়াবা আশ্ৰয় দি অভয় দান দিছে, আকৌ কেতিয়াবা হঠাৎভাৱে বৰ দি নিজেও বিপদত নপৰি থকা নাই। বৃকাসুৰৰ কথাই ইয়াত প্ৰযোজ্য। বৃকাসুৰে যুগ যুগ ধৰি তপস্যা কৰি মহাদেৱৰপৰা বৰ লাভ কৰিছিল যে যাৰে মূৰত সি হাত দিব সিয়ে ভস্ম হব। শিৱ গোসাঁইৰপৰা পোৱা এই দুৰ্লভ বৰটোৰ প্ৰমাণ চাবলৈ বুলি বৰদাতা ভোলানাথৰ মূৰতে হাত দিবলৈ সি তেওঁক খেদি গ'ল। অগত্যা শিৱ পলাল, দৈত্যয়ো তেওঁক পাছে পাছে খেদি ফুৰিলে। উপায় নাপাই মহেশ্বৰে লৰি গৈ বিষ্ণুৰ আশ্ৰয় ললে। বিষ্ণুই মধুৰ সম্বোধনেৰে দৈত্যক কলে—'তুমি বৰৰ প্ৰমাণ চাবলৈ ইমান শ্ৰম কৰি দৌৰি ফুৰিব লাগিছে কিয়? তোমাৰ শৰীৰতে যেখোন মূৰ এটা লাগি আছে। তাকে ছুই বৰৰ প্ৰমাণ নোচোৱা কেলেই?' দৈত্যই ভাবিলে—হয়তো, মোৰ গাতেই যেখোন মূৰটো লাগি আছে। মই মিছাকৈয়ে আনৰ মূৰ বিচাৰি হাবাথুৰি খাই ফুৰিছোঁ। মোৰ মূৰতেই পৰীক্ষা কৰি চাওঁ। এই ভাবি দৈত্যই নিজৰ মূৰত হাত দিয়া মাত্ৰকেই মূৰটো ভস্মীভূত হ'ল। দৈত্য মৰিল আৰু শঙ্কৰো ৰক্ষা পৰিল। বিচাৰ-বুদ্ধিত কেতিয়াবা দৈত্য আৰু দেৱতা দুয়ো সমান হৈ পৰে। দেৱতা ভোলানাথে এনেকুৱাকৈ হোৱাই-নোহোৱাই বহুতকে বৰ দি ফুৰাৰ উদাহৰণ অলেখ আছে। সিহে তেওঁ সমাজৰ প্ৰিয় দেৱতা হৈ পৰাৰ লগে লগে দেৱতা হৈয়ে থকা নাই, [illegible] নামিবলৈও বাধ্য হৈছে। সেইদেখি তেওঁক

কেতিয়াবা গৃহী, কেতিয়াবা বৈৰাগী, কেতিয়াবা ভিক্ষুক, কেতিয়াবা কৃষক আৰু আনকি পগলা, ভঙুৱা আৰি কণত সজাবলৈও সমাজে এৰা নাই। বহুৰূপী স্বয়ং কৃষ্ণ ভগৱানকো তেওঁ এই বিষয়ত চেৰ পেলাইছে বুলিব লাগিব।

যদিও শঙ্কৰে গৌৰীক 'অনন্তভাজ' পত্নি পাবলৈ বৰ বিচিছিল আৰু সেই মতে তেওঁ নিজেই 'অনন্যভাজ', তথাপিও বিভিন্ন পুৰাণ আৰু ভঙুৱা-গোসাঁই-প্ৰিয় লোক-সমাজে তেওঁক 'অনন্যভাজ' হৈ থাকিবলৈ দিয়া নাই; তেওঁকো বহু-বিবাহত ৰত আৰু নুতুৱা সাজিছে এৰিলে। ইও তেওঁৰ লোক-প্ৰিয়তাৰে পৰিচায়ক। অৱশ্যে শঙ্কৰে বহুবাৰ বহুত ঠাইত স্ত্ৰীলাভ কৰিছিল যদিও সেই সকলোবোৰতে সেই স্ত্ৰীসকল গৌৰী-পাৰ্ব্বতীৰে বেলেগ বেলেগ অৱতাৰ আছিল বুলিও কোৱা আছে। সেয়ে শাস্ত্ৰ আৰু শঙ্কৰ দুয়োৰো মৰ্য্যাদা ৰক্ষা কৰিছে।

হৰ-গৌৰীৰ বিয়াৰ উল্লেখ নানা পুথিত আৰু নানা গীত-মাতত সিঁচৰতি হৈ আছে। বিয়া-নামত হৰ-পাৰ্ব্বতী, কৃষ্ণ-ৰুক্মিণী, অৰ্জ্জুন-সুভদ্ৰা আৰু উষা-অনিৰুদ্ধ এই চাৰি যোৰা দৰা-কন্যাৰ উল্লেখ সততে পোৱা যায়। এটা বিয়াৰ গীতত আছে—মহাদেৱে বিয়া সাজি হেমন্তৰ ঘৰলৈ আহিছে, তেওঁৰ বাহন বৃষভ, আভৰণ ব্যাঘ্ৰ-চৰ্ম্ম, অলঙ্কাৰ বিষাল সৰ্প আৰু বাদ্য ডমৰু। ডমৰু বজাই বজাই তেওঁ আহি হেমন্ত ঋষিক কন্যাদান মাগিছে। হেমন্তই সুধিছে—'তোমাৰ জাত-কুল বা কি বোপাই?' উত্তৰত শিৱই কৈছে—'মই জগতৰ গুৰু। জাত-কুলৰ আৱশ্যক নাই। মই তোমাৰ জীয়েৰাক বিয়া কৰাই নি পুহিব পাৰিম, ভয় নকৰিব ঋষিৰাজ।'

বিয়াৰ সময়ত জাত-কুলৰ বিচাৰ আজিৰ কৃষি-শক্তিকাৰ শিক্ষিত সমাজেও পৰিহাৰ কৰিব পৰা নাই; গতিকে বিয়া-নামত জাত-কুলৰ কেনে উল্লেখে, বিবৰ্ত্তনশীল সমাজৰ ওপৰত পৰা সুৰুচিৰ প্ৰভাৱৰ এটা নিদৰ্শন [illegible]। সেই বিয়া-নামতেই মহাদেৱে বিয়া সাজি আহোঁতে তেওঁৰ বেশ-বাস কেনে হৈছিল তাকে [illegible] এনেদৰে দিয়া হয়—

[illegible] হৰ সাজি আহে

হৰ [illegible]

বাৰ বছৰতো বাহী-গা নোধোৱে
গোন্ধে প্ৰাণ ফুটি যায় ।

* * * * *

ক'বপৰা আহিলা জটীয়া ভাঙুৰা
সৰ্পেৰে বন্ধোৱা হিয়া ;
তোমাৰ ৰূপ দেখি মেনকাই ভবিব
নিদিয়ে পাৰ্বতীক বিয়া ।

অৱশ্যে ঘটনাস্থলীত সেইটো নোহোৱাকৈও ন'থাকিল । মেনকাই সদাশিৱক ছোৱালী নিদিওঁ বুলি আপত্তি তুলিছে কলে—

হৰি হৰি গিৰিৰজা দুই চকু খালা ।
তপস্বী এটাক তুমি জোঁৱাই খুজি পালা ।।
নিদিওঁ গৌৰীক বিয়া জোঁৱাই নহয় ভাল ।
কানীয়া ভাঙুৰা জোঁৱাই পিন্ধে বাঘৰ ছাল ।।

তেতিয়া খুৰি খুৰিয়নীসকলে মেনকাক নানা প্ৰকাৰে বুজনি দি বিয়াখন পাতিবলৈ যত্ন কৰিছিল । বিয়াৰ ভুৰি-ভোজনৰ লোভৰ কথা দাঙি ধৰি তেওঁলোকৰ দুই-এগৰাকীয়ে আকৌ সৃষ্টিতত্ত্বৰ মূল কথা কবলৈও আগ বাঢ়িছিল—

[illegible] পাতে চিৰিলীয়া,
[illegible] বোপাখুপি লাগে ;
[illegible] নিদিওঁ [illegible]
[illegible] ৰাখিব লাগে ।

এনেকৈ দিওঁ নিদিওঁকৈ থাকি শেষত বাৰ-বাপেকে পাৰ্বতীক শিৱলৈ বিয়া দিবলৈ থিৰ কৰিলে । [illegible] বিয়াৰ [illegible] [illegible] [illegible] পাৰা নাই । [illegible]

[illegible]

[illegible] ।

ভিতৰেৰে পৰা   ওলাই আহা গৌৰী
লোৱাহি মাথা দোৱাই।

বিয়াৰ দিন পালেহি। হৰা আহিল। যথাসময়ত পাৰ্ব্বতীক বিয়া দিবলৈ ৰভাৰ তললৈ অনা হ'ল। সেই বিয়াখনত স্বয়ং ব্ৰহ্মায়ে হ'ল পুৰোহিত—

'শিৱলৈ গৌৰীক—অ মন লাহৰী
সম্প্ৰদান কৰে—অ' মন লাহৰী
ব্ৰহ্মাই বেদ বুলি আছে মন লাহৰী
লগৰ লগৰীয়াক নাথাকে পাহৰি।'

তেতিয়া পাৰ্ব্বতীৰ কি হ'ল? মহাদেৱৰ কাষত বহুৱাই দি হৰা-কইনাৰ মাজত লাহেকৈ লগুন-গাঁঠি বান্ধিব খোজোঁতে শিৱৰ ডিঙিত মেৰিয়াই থকা সাপবোৰে আচহুৱা লোকক ওচৰলৈ যোৱা দেখি গোঁসাই ফোঁচফোঁচাই ফণা তুলি উঠিল—

'মহাদেউৰে গাতত   সৰ্প গৰ্জ্জিছে
ঐ ৰাম পাৰ্ব্বতী বোলে মোক খালে হেঁ বাঘাম্বৰী'

মহাদেৱে তেতিয়া সৰ্পসকলক আৰু পাৰ্ব্বতীকো অভয় দি প্ৰকৃতিস্থ কৰে। যি হওক, তেনেকৈয়ে কোনোমতে বিয়াখন হৈ গ'ল। পাৰ্ব্বতীক উলিয়াই দিয়া সময়ত মেনকাই জোঁৱাইৰ [illegible] বুলি কান্দিলে:

'মেনকা বোৱন কৰে কোলে [illegible];
[illegible] উমাক [illegible]
[illegible]
[illegible]
[illegible]
[illegible]'

[illegible]

(১২)

[illegible]

সে মহাদেৱৰ ফুলনিত সোমাইছিল। তাতেই শংকৰে তেওঁক নিভৃতে লগ পালে আৰু ধৰ্ষণ কৰিলে।

'আনন্দ লভিলা গোসাঁই জে ভুকগাৰ বোলে।
অধৰে চুম্বিয়া বে তুলি লৈলা কোলে॥
মনত বিষাদে দুৰ্গা জে বুলিল বচন।
কহে মনকৰে হৰ-গৌৰীৰ চৰণ।'

পাৰ্ব্বতীয়ে মহাদেৱৰ তেনে দুৰ্ব্যৱহাৰত খেদ কৰা দেখি মহাদেৱে তেওঁক বুজনি দি কৈছিল—

'তোমাৰ লাগিয়া মই মালক অৰ্জিলোঁ।
উপায় কৰিয়া দুৰ্গা মই তোমাক আনিলোঁ।
তোমাৰ মৰণ দুৰ্গা ভৈল শতবাৰ।
তোমাৰ মুণ্ডৰ মালা মোৰ গলেৰ হাৰ॥
তুমি দেৱী আমি দেৱ ত্ৰিভুৱনে সাৰ।
তোমাৰ লাগিয়া ভৈলো শিৱ অৱতাৰ॥' ইত্যাদি।

এই বিয়াৰ বৰ্ণনা বঙলা মনসা-মঙ্গল কাব্যতো পোৱা যায়। কবি জগজ্জীৱনে দিয়া বৰ্ণনামতে শিৱ দুৰ্গাৰ বিয়া সেই ফুলনিৰ মাজতে দুৰ্গাৰ সখীয়েক পাচগৰাকীৰ সহায়ত সুসম্পন্ন হৈ যায়। এই বিয়াৰ বৰ্ণনা সুকবি নাৰায়ণদেৱে কিঞ্চিৎ পৃথক ধৰণে দিছে। বস্তুতঃ নাৰায়ণদেৱ বিৰচিত গোসাইৰ বিয়া বোলা এখন পৃথক পদ বা পুথিয়ে আছে। ই শ্ৰোতাৰ বৰ প্ৰীতিদায়ক আৰু ওজাপালিবো মনঃপুত। পদকোৰত আদি আৰু হাস্য-ৰসে চৌ খেলি আছে। কবিয়ে ইয়াৰ ঘটনা পৰম্পৰা অনুসৰণত বহুত পৰিমাণে মহাকবি কালিদাসক মানি চলিছে। কালিদাসৰ গৌৰীৰ দৰে ইয়াতো গৌৰীয়ে শিৱক পতি পাবলৈ আৰাধনা কৰিছিল।

নাৰায়ণদেৱৰ মতে মালক বা ফুলনিৰ ভিতৰত শিৱই দুৰ্গাক ধৰ্ষণ কৰা নাই; বৰঞ্চ কিশোৰী দুৰ্গাই [illegible] লগে হৈ কাষোৱত মহাদেৱকো বুজনি দি শান্ত কৰিবলৈহে [illegible] শিৱয়েই [illegible]; [illegible] কেনেকৈ বিধি-ব্যৱস্থাৰে বিয়া কৰাই পত্নীৰূপে গ্ৰহণ কৰিব লাগিব তাকো [illegible] দিছিল।

'আমাক বিহাইতে যদি তোমাৰ আছে চিত্ত।
পিতাক কহিয়া বিয়া কৰিতে উচিত ।।'

পাৰ্ব্বতীৰ এনে জ্ঞানগৰ্ভ উপদেশ শুনি কামাতুৰ মহাদেৱে ভাবিলে যাৰা ভাঙি জুৰি লগাই কথা কোৱাত পটু। তেওঁ। জানোচা কুমাৰ হাতৰপৰা এৰাব পাৰৰ্টেহে এনে সদুপদেশৰ জেলোভা মেলিছে, তাকে ভাবি তেওঁ কিবা এটা শপত দি কলে—

'যদি কপটে ভাণ্ডি যাঙো আজাৰে।
ইজন্মে পুনৰে বিহা নকৰিব তোৰে ।।'

পাৰ্ব্বতীয়ে শিৱৰ তেনে কথাত মিচিকিয়াই হাঁহি মৌনভাবে সন্মতি দি থলে, কাৰণ তেওঁ। জানো শঙ্কৰক পতি পাবৰ বাবে ব্ৰত-উপাসনা কৰা নাছিল?

পাৰ্ব্বতীৰ কথামতে শৈ ভোলানাথে বিয়াৰ বাবে যা-যোগাৰ কৰাত লাগিল। দেৱৰ্ষি নাৰদ শঙ্কৰ মহাদেৱৰ ভাগিন। তেৱেঁই হ'ল জোৱালী চোৱা আৰু জোৱালী ধৰাসকলৰ ভিতৰত মুখ্য লোক। তেনেৰ তাৰ বা জোৰণৰ সময় আহিলত মধ্যস্থ পাওঁতা ভীমকেই বৰ-যাহালি নিবলৈ ভাৰী পতা হ'ল। যেনেকী আৰু 'ভাল মানুহ' হ'ল নাৰদ। তেওঁ যাব ভীমৰ লগত। কি কি বস্তু পঠোৱা হ'ল তাৰো হিচাব আছে—

'লাড়ু, গুৰ, সান্দহ যে দধি, কল, চেনি।
গুৱা, পাণ, নাৰিকল তাৰ বান্ধি আনি ।।
অসংখ্যাত দ্ৰব্যৰ তাৰ এক ঠাই কৰিয়া।
পঠাইলা সঙ্গে ভীম নাৰদক দিয়া ।।'

শৈ থাকোঁতে বাটত—

সান্দহ দেখিয়া ভীমৰ লটৰ-পটৰ মন।
মহাবলে ভাৰখন নমাইল তেখন ।।

ভাৰখন নমাই থৈ ভীমে নাৰদৰ লগত আলচ কৰিলে। ভীমৰ প্ৰস্তাৱমতে নাৰদো ৰাজি হ'ল। আৰু সেইমতে দুয়ো পকা পকা কলবোৰ খাই বাকলি-বোৰ ঠোকত এৰিলে। দৈ চিৰা সান্দহবোৰ খাই তাত [illegible] জলবোৰ খাই ভাঁজিত ইটা ভৰাই থলে। চেনি খাই বালি ভৰাই থলে। তাৰ নাৰিকলৰ পানী খাই তাত [illegible] [illegible] দুয়ো [illegible] [illegible]।

কোনেও ভীম-নাৰদক এনে ছলাহী কাৰ্য্যৰ কথা নাপায়লে। তেওঁলোকে জোৰণ দি উভতি অহাৰ পিছতহে এগৰাকী প্ৰণৰ লাগিল, চুবুৰিত খলক লাগিল। ভীম-নাৰদৰ এনে অপমানজনক কাৰ্য্যৰ বাবে সকলোৱে খুৰি হেমৰন্তক ধৰত-দিয়া উপলক্ষে একো ব্যৱস্থাই স্থিৰ কৰিলে। হেমৰন্তই তেতিয়া গলবস্ত্ৰ হৈ সকলোকে কাকৌ-কোকালি কৰাত তেওঁলোকে ক'লে যে তেওঁলোকৰ জাতি গ'ল, হেমৰন্তই তেওঁলোকক ছল কৰি উচ্ছিষ্ট খুৱালে। এনেস্থলত এটা মাত্ৰ উপায় আছে, গঙ্গাদেৱীৰ হাতৰ খাব পাৰিলে তেওঁলোক সকলোৱে জাতি পুনঃ ঘূৰাই পাব। তেতিয়া বাক্যপ্ৰবন্ধে গঙ্গাদেৱীক ৰান্ধনী হিচাপে বিয়ালৈ অনা হ'ল। যথাসময়ত মহাদেৱেও দৰা সাজি বিয়ালৈ যাত্ৰা কৰিলে। কেনেকৈ,

'চাৰিদিশে দেৱগণ-মধ্যে শিৱ যায়।
ক্ৰমে ক্ৰমে কপে নাচে ডমৰু বজায়।।'

বিয়া চাবলৈ দেৱতাসকলেও নিজ নিজ বাহনত উঠি উপস্থিত হ'ল,

'ৰাজহংসে চৰিয়া ব্ৰহ্মাৰ আগমন।
ঐৰাৱতে চৰিয়া আইল সংক্ৰন্দন।।
মহিষ বাহনে আহিল কৰিব শমন।
ছাগল বাহনে অগ্নি কৰিলে গমন।।
গৰুড়ে চৰিয়া জোৰে আইল নাৰায়ণ।
যাৰ যি বাহন চৰি আইল সৰ্বজন।।' ইত্যাদি

নাৰদৰ বাহন কিন্তু ভীম-বাহন কিজানি নাই, তেওঁ আহে কেনেকৈ? তেওঁ অন্ত একো নাপাই অসৰীয়া ঢেঁকী এটাকে বাহন কৰি আহিল,

'দুই দিকে দুই জীৱ বান্ধিলে দুই ঠাই,
দুয়ো দুলিয়া বাজে আগে পাছে [illegible]

[illegible]

তাৰ বাবে বিয়াকৰীয়াৰ ঢেঁকীত বান্ধি দি থোৱা হয়। নাৰদে শিৱৰ বিয়াতো ঢেঁকীৰ বাহনত উঠি সকলো দৈৱ-দেৱীক চেক পেলাই তেওঁ গৈ আগে হেমন্ত মুনিৰ ঘৰ পালে আৰু কইনাৰ মাক মেনকাৰ গুচৰ চাপি কথাৰ ছলেৰে তেওঁৰ জোঁৱাই-ল'ৰা ভোলানাথৰ পৰিস্থিতি আৰু ঘৰৰ অৱস্থা বৰ্ণাবলৈ ধৰিলে—

'তোমাৰ জীউক দেখি মনে লাগে বেজা।
মন দিয়া শুনা তোমাৰ জামাতাৰ কথা ॥
ঘৰে নাহি ভাণ্ড-ভোল চালে নাহি খেৰ ;
শুইবাৰ শয্যা নাহি পাৰিবাৰ কাপোৰ ॥

[illegible]

পিন্ধন বাঘৰ ছাল তাতে আছে ছিৰা।
সৰ্ব্বক্ষণে খাই ফুৰে ভাং-ধঁতুৰা ॥' ইত্যাদি

ওজাপালিয়ে গীতৰ সামৰণিত, আৱশ্যকীয় নহলে, বিচ্ছিন্নভাৱে অন্য সময়তো গোৱা আৰু এটা ধুনা গীতত শিৱৰ এই বৰ্ণনাটো স্পষ্ট আৰে ফুটাই তোলে। তাত মেনকাই ঋষি হেমন্তক কৈছে—

দিহা—অ'...আই, অ'...আই...অ' আই গৌৰীৰ এইমান বৰ।
পদ—ঐ আৰে তাৰাবা কোন দিশে যায়।

হাতে ডুটেমটি, মাথে জটাৰ [illegible]
[illegible] আছে গাই ॥
[illegible]
কটিত বাঘৰ ছাল।
[illegible]
লোকেও লোৱোলে তাৰ।
[illegible]

তাহাতে উঠিয়া ভিক্ষা মাগি ফুৰে
হাতে ডুব্ ডুব্ কৰি ॥
কটা ঝুলি খণ্ড আছয় শিৱৰ
ঘৰে ফুটা কড়ি নাই।
এই হেন দৰিদ্ৰত কোনে কন্যা দিয়ে
দিনতে দুই চক্ষু খাই ॥
লেখেৰা বুঢ়া ভই একোকে নাজান
জোঁৱাইক নাপাইলি চাই।
হাতে গলে বান্ধি অগ্নিত পেলাই দি
জলত দিয়া ভসাই ॥
কহয় মাধৱ হে প্ৰাণৰ বান্ধৱ
গৌৰী শঙ্কৰৰ লীলা।
জগতৰ গুৰু জানিয়া শিৱক
মুনিৰ মন মুহিলা ॥'

সি যি হওক, মাৰৰে কথা শাস্তি থাকোঁতে দৰাঘৰীয়া পালেহি। ঋষি হেমন্তই নতুন জোঁৱাইক আদৰি অনাই বহিবলৈ সিংহাসন পাৰি দিলে। শিৱই সেই সিংহাসন ভৰিৰে লাঠি মাৰি কাতি কৰি পেলাই দিলে আৰু নিজৰ গাত থকা বাঘৰ ছালখনকে পাৰি বহিল। তাৰ পাছত গাঁৰ বলেৰে শিঙা ফুকাবলৈ ধৰিলে। শিঙাৰ মাত শুনি তেওঁৰ অনুচৰ ভূত-প্ৰেতবিলাকে নাচিবলৈ ধৰিলে। 'চৌদিশে বেঢ়িয়া নাচে যত ভূত-প্ৰেত।' শিৱে ই জানো সভ্য জগতৰ ব্যৱহাৰ? দৰাই কোন দিনা বিয়ালৈ-গাজি-কাটি গৈ দৰাঘৰত নিজে শিঙা ফুকায়?

মহাশিৱৰ বৰ বাজিবলৈ যোৱাৰ বিষয়ে ওজাপালিৰ আৰু এটা সুৰা গীত আছে—

দিহা— [illegible]

আকাশত লাগিল বাদ্য ডমৰু ধ্বনি।
আৰণ টানিয়া যায় যতেক ৰমণী॥
বৰ নহয় বৰ নহয় বৰ বিকিংদিতা।
কোনদিনা শুনি আছা বাঘৰ পিন্ধা॥
বৰ নহয় বৰ নহয় বৰ বলিয়াৰ ভূত।
বৰ বৰিব যাওঁতে মেনকাক সৰ্পে কৈলা কোঁচ॥
সৰ্প দেখি মেনকা উলটি পৈলা ভয়ে।
থুই থুই ছিকো ছিকো এইটো জোঁৱাই মোৰে॥
চান্দো ভাদো ইহৰ মূল আনিলা কোচাই।
ঔষধ লৈ মেনকাই বৰ বৰিব যায়॥
ঔষধৰ গোন্ধ পাই সৰ্প দূৰ ভৈলা।
কঙ্কালৰ বাঘৰ ছাল খসিয়া পৰিলা॥
সৰ্পে এৰা দিলে উলঙ্গত ভৈলা হৰ।
থিয়হৈ থাকিলা শিৱ লিঙ্গে থৰকৰ॥
কহয় মাধৱ দাসে শিৱবেশে লীলা।
শিৱৰ বন্দনা গীত মাধৱে ৰচিলা॥

বিয়াৰ দবাৰ এইবোৰ কাণ্ড দেখি হেমন্তৰ নগৰত খলক লাগিল। বিয়া চাবলৈ অহা আই-অতিথি সকলো স্তব্ধ হ'ল। বৰ বৰিবলৈ অহা শাহু-আই মেনকাই বৰৰ অৱস্থা দেখি লজ্জা পাই উলটি গৈ গৌৰীৰ ডিঙিত ধৰি হাঁহো-বিঙ্গো কৰি কান্দিবলৈ ধৰিলে। তেতিয়া নাৰদে গৈ ঘটনাৰ বিসদৃশ গতিৰ কথা আকাৰে ইঙ্গিতে বুজাই শিৱক জনালে। ইফালে পাৰ্বতীয়েও মাকক আশ্বাস দি কলে যে শিৱ উলঙ্গৰ ঈশ্বৰ। তেওঁক বাহিৰে গৌৰীৰ অঙ্গ শক্তি হৰ [illegible]। শিৱইও তেওঁ পুনঃ দশা আৱৰি আনিবলৈ বাৰ [illegible] মেনকা পুনঃ [illegible] [illegible]

চকুৰে-মুখে বিৰিঙি পৰিল। তাতে তেওঁৰ শিৰত থকা চন্দ্ৰৰপৰা টোপ-টোপকৈ অমৃত নিগৰি পৰিবলৈ ধৰিলে। অমৃতৰ গোন্ধ পাই মহাদেৱে পাৰি বহি থকা বাঘৰ ছালৰ পৰাই বাঘ এটা জী উঠিল আৰু আয়তী-সকলক সন্মুখতে দেখি গোনেই তিনিটা হাউৰি মাৰি খাবলৈ খেদি গ'ল। বিয়া-ঘৰৰ মানুহ ভয়ত হুলস্থল ভাঙি পলাল। দেৱতাসকলেও প্ৰমাদ গণিলে। বিয়া-ঘৰত ঘোৰ চাঞ্চল্যৰ সৃষ্টি হ'ল। মহাদেৱে তেতিয়া থিয় হৈ গোনেই বাঘ ভৰিৰে বাঘৰ ডিঙিত গধকা মাৰি ধৰিলে, বাঘ তেনেই পেপুৱা লাগি লোট-পোট হৈ পুনঃ ছালত পৰিণত হ'ল।

'বাম পদ দিলা শিৱ ব্যাঘ্ৰৰ কপাল।
ব্যাঘ্ৰৰূপ চাৰি পুনু হৈয়া গৈল ছাল।।'

বিয়া পুনঃ আগ বাঢ়িল আৰু যথাবিহিতভাৱে হৈ গ'ল। বিয়াৰ অন্তত ন দৰা-কন্যাক ভালকৈ এসাজ খুৱাবলৈ বন্দ কৰা হ'ল। ন দৰা মহাদেৱৰ লগত জোৰোণ-ভাৰী বৰ গৰখীয়া স্ত্ৰীয়ো আছিল। স্ত্ৰীয়ে মহাদেৱক সঘনে কাণে কাণে কলে যে ন জোঁৱায়ে বেছিকৈ খোৱা উচিত নহয়, শুঙি চাই এবিধ লাগে। মহাদেৱেও তাকে কৰিলে আৰু স্ত্ৰীয়ে দবালৈ দিয়া ভাল ভাল বস্তু সকলোবোৰ খালে। চৰুৰ ভাত-আঞ্জাবোৰ খুজি খুজি খাই শ্যাং কৰা দেখি আয়তীসকল বিচুৰ্ত্তি হ'ল। স্ত্ৰীয়ক লৈ তেওঁ-লোকে ভালকৈয়ে বগৰ কৰিলে—সকলোৱে মিলি স্ত্ৰীয়ৰ মুখত চুণ-কালি সানি দিলে। স্ত্ৰীয়েও খং নকৰি আনন্দহে পালে।

'সকল অন্ন খাই স্ত্ৰীয়ে পেটে দিয়া হাত।
ডাক দিয়া পুনু বোলে আনি দিয়া ভাত।।
মেনকা বোলে তোৰ উদৰেই অনল।
অন্ন-ব্যঞ্জন বেটা খাইলি সকল।
অন্ন ব্যঞ্জন খায়া হাণ্ডী কৈলি খালি।
আয়ৰাৰে মিলি স্ত্ৰীয়ক দিলা চুণ-কালি।।'[১] ইত্যাদি

তিনত এইদৰে মহাদেৱ, ঠে যোগেদ পাহত নাৰি গৰাকীয়েই দুগ্ধপানাৰ সুখ ভোগ কৰিলে—'একদেৱে বলিলা সুখ বাঢ়ি।' ইয়ানতেই আনকীয়া হৰ-গৌৰীৰ বিয়া শেষ হয়। কতনাটি হৰ-গৌৰীৰ বিয়াত উদ্ধৃত আকৃত হোৱা দুৰ্গা-দুৰ্গাৰ গতিনী দুৰ্গাৱৰ বৰ্ণা জিৰ আৰৱৰ দিয়া গঢ়োকা জীৱৰ

প্ৰথমা পত্নী। গতিকে দুৰ্গাক দ্বিতীয় পত্নীৰূপে শিৱই বিয়া কৰাই নিয়াত গঙ্গা-গৌৰী দুয়োৰো মাজত সতিনী যুঁজখন লগা তেনেই স্বাভাৱিক।

বিয়াৰ পাছত গৃহ-সুখে আমুৱাত গঙ্গা-দুৰ্গাৰ কন্দলকে চেনু হিচাপে লৈ শিৱ পুষ্প-বনলৈ দিনচেৰেকৰ কাৰণে নিভৃত বিশ্ৰাম লভিবলৈ গৈছিল; গঙ্গা-দুৰ্গাৰ এগৰাকীকো লগত নিয়া নাছিল। সেইটোও এটা বেলেগ পৰ্ব্ব। সি যি হওক, বিয়াৰ পাছত হৰ-গৌৰীৰ মাজত সঘনে কাজিয়া-পেচাল হৈ আছিল যদিও দুয়োকো দুয়ো খন্তেকৰ কাৰণেও এৰিব নোৱাৰিছিল, দুয়োৰো সম্বন্ধ গা আৰু ছাঁৰ সম্বন্ধৰ দৰে হৈ পৰিছিল। সুখে দুখে, সম্পদে-বিপদে দুইকো দুয়ো এৰা নাছিল কাৰণে আজিও তেওঁলোকৰ জীৱনক আদৰ্শ দাম্পত্য জীৱন বুলি ধৰি বিয়াৰ পাছত বৰ-কন্যাক 'হৰ-গৌৰীৰ বসতি হওক' বুলি আশীৰ্ব্বাদ দিয়া হয়। বস্তুতঃ দাম্পত্য জীৱনৰ কিবা এনা-তোলৰ বান্ধ নথকা হলে অন্ততঃ মহাদেৱৰ দৰে উদাসীন স্বামীক কোনো পত্নীয়ে ক্ষমা কৰি তেওঁৰ লগত ঘৰ-গৃহস্থালি নকৰিলেহেঁতেন।

— ✕ —

লুতুৰা ভণ্ডুৰা শিৱ-গোঁসাই

'অঙ্গাৰঃ শতধৌতেন মলিনত্বং ন মুঞ্চতি'—'এঙাৰ নহয় বগা ধুলে পাখীৰেৰে।' সাধাৰণ ফকৰা এটাতো কোৱা আছে, বোলে—

'চোৰে নেৰে চোৰ পৰ্‌কিতি, কুকুৰে নেৰে ছাই;
যাৰ যি পৰ্‌কিতি মৰিলে লগত যায়।'

দেৱাদিদেৱ মহাদেৱে সন্ন্যাস এৰি পাৰ্ব্বতীক বিয়া কৰাই ঘৰখন পাতিলে সঁচা কিন্তু তেওঁৰ আগৰ সেই টলো-টলোৱৈক, ঘুৰি ফুৰা উতন্নুৰা স্বভাৱটো গলে, নগ'ল। বৰং নতুন সংসাৰৰ সোৱাদ পাই মলিচৰ তেজ দাঁতত লগা মানুহ-বঘাৰ দৰে তেওঁ আৰু বেছি উদণ্ডহে হৈ পৰিল। ভিক্ষা কৰিবলৈ গৈ ক'ৰবাত পাৰ্ব্বতীৰ দৰে যুৱতী কন্যা দেখিলে সেইসকলকো পাৰ্ব্বতীৰূপে জ্ঞান কৰা হৈ পৰিল।

ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ—হিন্দুৰ এই তিনি প্ৰধান দেৱতাৰ কোনো জনাকে কামদেৱে কম লটিঘটি কৰা নাই। তথাপি মহাদেৱক বেছিকৈ ম'হটিয়াইছে। সেয়েহে তেওঁ লাজত পৰি এবাৰ কামদেৱক কোপ-দৃষ্টিৰে চাই ভস্ম কৰি পেলাইছিল। কামদেৱৰ প্ৰতাপত সৃষ্টিকৰ্ত্তা ব্ৰহ্মায়ো এবাৰ স্থিৰে থাকিব নোৱাৰি নিজ কন্যা সৰস্বতী দেৱীৰ প্ৰতিয়ে অনুৰাগ প্ৰদৰ্শন কৰিছিল বুলি আগতে কোৱা হৈছে। কৃষ্ণ-ভগৱানৰ কথা তো এই বিষয়ত কবই নালাগে। শঙ্খচূড় অসুৰৰ পত্নী তুলসীৰ সতীত্ব হৰণৰেপৰা কুঁজীৰ বাঞ্ছা পূৰণলৈকে এহেজাৰ এটা কাহিনীৰ দিগ্বিজয়ী বীৰ তেওঁ।

এই কাহিনীবোৰৰ দুই ৰকম ব্যাখ্যা আছে। এক প্ৰকাৰ ব্যাখ্যা সাধাৰণ লোকৰ ব্যাখ্যা; সাধাৰণ পাঠকে ঘটনাটো দেখি-শুনি যি ভাবে তাকে কোৱা ব্যাখ্যা। দ্বিতীয় প্ৰকাৰ ব্যাখ্যা তত্ত্ব-জিজ্ঞাসু জ্ঞানীসকলৰ ব্যাখ্যা। কীৰ্ত্তনৰ হৰমোহনৰ কাহিনীটোকে ইয়াত উল্লেখ কৰিব পাৰি। সাধাৰণ লোকৰ কাৰণে ই তিৰোতা-মেকুৰা হৰৰ মোহিনী নাৰীৰ প্ৰতি ওপজা কাম-বুভুক্ষা। অন্য অৰ্থত ইয়াক এটা ৰূপক হিচাপে লবা যায়।

আমি আগতে উনুকিয়াই আহিছোঁ যে হৰি-হৰৰ মাজত পৰমাৰ্থৰ প্ৰভেদ নাই। তথাপি হৰক পৃথক কৰি এজন স্বকীয়া আদি দেৱ হিচাপে ধৰি লোৱা হয়। তেওঁ পৰমাত্মাৰ ধ্যানতেই নিমগ্ন থাকি সুখ পায়। পুৰাণ-সমূহে হৰি-হৰৰ আত্মাৰ একত্ব দেখুৱাবলৈ নানা আখ্যান-উপাখ্যানৰ সৃষ্টি কৰিছে। হৰমোহনৰ কাহিনীটো তাৰেই এটা নমুনা। আমাৰ কীৰ্ত্তন পুথিত আছে—

'শুনিলন্ত হৰে পাছে কথা বিপৰীত।
স্ত্ৰীৰূপ ধৰি হৰি হৰিলা অমৃত॥
দেৱক ভুঞ্জাইলা দানৱৰ আশা ভঙ্গ।
শুনি ত্ৰিনয়নৰ মনত মহা ৰঙ্গ॥'

দেৱতা-দানৱ সকলোৱে এই অপূৰ্ব্ব নাৰী মায়া দেখিলে, মাত্ৰ নেদেখিলে শঙ্কৰে। ভগৱান নাৰায়ণৰ লীলা-ৰসৰ আস্বাদনত সদায়ে তেওঁ আগভাগ লয়, এইবাৰ কিন্তু বঞ্চিত হ'ল। ই কেনে কথা! তেওঁ ভাবিলে—বাৰু এতিয়াই যাম বৈকুণ্ঠলৈ—বিষ্ণুৱে মোক নাৰী-মায়া দেখুৱাবই লাগিব—

'নয়নে দেখিবো বিষ্ণু হৈলা যেন নাৰী।
এহি বুলি বৃষভত চৰি ত্ৰিপুৰাৰি॥'

সগত গৌৰীকো ললে। পালেগৈ বৈকুণ্ঠ আৰু বিষ্ণুক সৎকাৰ কৰি কলে—

'শুনা যি কাৰণে আইলোঁ গোচৰ তোমাৰ।
দেখি আছোঁ তোমাৰ অনেক অৱতাৰ॥
সম্প্ৰতি ধৰিলা প্ৰভু যেন নাৰী বেশ।
তাক দেখিবাক লাগি আইলো হৃষীকেশ॥'

সেই নাৰী অৱতাৰকে চাবলৈ সত্যাৰ্থে আহিছোঁ—এই বুলি কলে। নাৰায়ণে মহাদেৱৰ কথা শুনি হাঁহি উত্তৰ দিলে—'নাৰী-মায়া সৰ্ব্বতোভাৱে কুৎসিৎ, সেইটো সাধু-সংযমীৰ কাৰণে নহয়। কেৱল দৈত্যসকলৰ ক্লেশ গুচাবলৈহে মই এনে ৰূপ লৈছিলোঁ, তুমি চোৱা অনুচিত।' শঙ্কৰে কিন্তু নেৰে। তেওঁ কলে—'মোৰ দৰে সংযমীক নাৰীৰূপে কি কৰিব পাৰে? মই নাৰীৰূপী তোমাকহে চাম, নাৰীকতো নাচাওঁ।' আৰু

'মহা যোগবলে জড় কৰি আছোঁ কায়া।
প্ৰত্যক্ষ দেখো কি কৰিব পাৰে মায়া॥'

এইদৰে দন্ত প্ৰকাশ কৰাত নাৰায়ণে মিচিকিয়াই হাঁহিলে আৰু 'তথাস্তু' বুলি তেওঁ হঠাৎ অন্তৰ্দ্ধান হ'ল। হৰি নো হঠাৎ ক'লৈ গ'ল, কি হ'ল— বুলি সদাশিৱে চাৰিওপিনে চাবলৈ ধৰিলে। এনেতে তেওঁ দেখিলে সুদূৰত এখন ৰম্য উপবন আৰু তাত এজনী কন্যাই নানা লয়লাসেৰে নৃত্য ভঙ্গীত ভণ্টা খেলি আছে।

'পাছে ত্ৰিনয়ন দিব্য উপবন দেখিলন্ত বিদ্যমান।
ফলফুল ধৰি জকমক কৰি আছে যত বৃক্ষমান।।' ইত্যাদি

আৰু

'হেন মহা দিব্য বন দেখিলন্ত ত্ৰিনয়ন
দিব্য কন্যা এক আছে তাতে।
কোটি লক্ষ্মী সম নোহে কটাক্ষে ত্ৰৈলোক্য মোহে
ভণ্টাখেৰি খেলে দুয়ো হাতে।।'

মায়াজয়ী মহাদেৱে গৰ্ব্ববাণী কৰোঁতে এটা কথা ভাবি নাচালে। যি নাৰায়ণক তেওঁ দিনে-নিশাই হৃদয়ত ভাবি ধ্যান কৰি থাকে সেইজন যদি জগৎ মোহিনী মায়াৰী মূৰ্ত্তিত আগতে ওলায়হি তেন্তিয়া তেওঁৰ অৱস্থা কি হ'ব পাৰে! তেওঁৰ সেয়ে হ'ল। তেওঁ তেতিয়াই তেওঁৰ দেৱত্ব নেওচি মানৱ স্বভাৱ প্ৰাপ্ত হ'ল আৰু সেই মায়াকন্যাক পাবলৈ নানা কাতৰুক্তিৰে আহ্বান কৰিবলৈ ধৰিলে। কন্যাই তেওঁৰ কাতুৰবাণীলৈ কাণসাৰ নকৰাত তেওঁ উঠি কন্যাৰ পাছে পাছে খেদা দিলে। দুয়ো দৌৰ ধৰিলে, আগে আগে কন্যা, পাছে পাছে মহাদেৱ। অৱস্থা দেখি—'হাসীৰ দেখিয়া ভার্গ হাসন্ত পাৰ্ব্বতী আও চাপৰি মুখত বস্ত্ৰ দিয়া'। এইদৰে দেখি এই ত্ৰিভুৱন বুলি [illegible] পাইছহি। [illegible]

[illegible]

এজো অংশহে। যথাৰ্থতে পৰম ব্ৰহ্ম নাৰায়ণেহে নাৰীৰূপে শঙ্কৰক মুহিছিল।

ইয়াৰ পিছত নাৰায়ণে শঙ্কৰক সাদৰি আশ্বাস দি কলে—

'শুনা শুনা শূলপাণি জানো তুমি মহাজ্ঞানী
তৰিলা দুস্তৰ মায়াঘোৰ।
তুমিসে তত্ত্বক জানা নাহি আৰ তুমি বিনা
আৰৰ পৰম প্ৰিয় মোৰ।।
শুনা শুনা জ্ঞানশালী তোমাৰেসে বাক্য পালি
দেখাইলো দুস্তৰ স্ত্ৰীমায়া।
আত নকৰিবা খেদ কিঞ্চিতো নাহিকে ভেদ
তোমাৰ আমাৰ একুকায়া।।'

ইত্যাদি নানা আদৰ-আপ্যায়নেৰে নাৰায়ণে শঙ্কৰক বিদায় দিলে।

কীৰ্তন পুথিত হৰৰ দুৰ্দশা এই ক্ষেত্ৰত সাধাৰণ মনুষ্যৰ দুৰ্দশাৰ দৰে দেখুৱা হৈছে—লোক-ৰঞ্জনাৰ্থে। দেখাত ই আজিকালিৰ সমাজৰ শ্লীলতাৰ বাহিৰত; কিন্তু আগৰ কালৰ মানুহে তাক কোনো প্ৰকাৰে নিন্দনীয় বুলি নাভাবিছিল। সেই বাবেই পুৰাণবোৰত নানাপ্ৰকাৰ অশ্লীল কাহিনীও পোৱা যায়; সেইবোৰ আজিকালিৰ বিচাৰত অশ্লীল যেন লাগিলেও প্ৰকৃততে অশ্লীল নহয়, মানৱ স্বভাৱৰ এটা অৱস্থাৰ বৰ্ণনা মাত্ৰ। 'স্কন্দ পুৰাণ'ত আছে, সংসাৰত প্ৰৱেশ কৰাৰ পাছত এবাৰ দিগম্বৰ ভোলানাথে [illegible] বনত গোসাঁই তাত থকা আশ্ৰমবাসী ঋষিপত্নীসকলৰ উন্মুক্ত সৌন্দৰ্য্যত মুগ্ধ হৈ তেওঁলোকৰ লগত ব্যভিচাৰ আৰম্ভ কৰিবলৈ উদ্যত হৈছিল। পুৰাণ, ভাগৱত, 'ধৰ্মপুথি'ৰ অনেকবোৰ উপাখ্যানেই জনসাধাৰণৰ মাজত শঙ্কৰক লম্পট আৰু [illegible] 'প্ৰেমিকৰ' পৰ্যায়লৈ নমাই আনিছে।

এই দিশতে আৰু এটা প্ৰশ্ন [illegible] লুতুৰা [illegible] [illegible]

আগতে শিৱ গোঁসাইৰ ফুলনিত তেওঁ ফুল তুলিবলৈ সোমাইছিল। তেতিয়া আছিল চ'ত মাহ। ফুল ছিঙি ঘূৰি ফুৰোঁতে কোমলাঙ্গী পাৰ্ব্বতী ভেনেই ভাগৰি পৰিল। তেওঁ গৈ গৈ এজোপা অশোক গছৰ তলত জিৰণি লবলৈ বহিল। ফুলনিত ৰিব্‌ ৰিব্‌ কৈ বলা সুগন্ধি মলয়া বা আহি গাত লগাত পাৰ্ব্বতীৰ শৰীৰ শাঁত পৰিল, চকু ক্ৰমে জাপ গৈ আহিল। শেষত বৰ নোৱাৰি কোমল বনৰ ওপৰতে তেওঁ শুই পৰিল আৰু টোপনি গ'ল। কেনেবাকৈ জঁটীয়া গোঁসাই ভোলানাথে ফুলনিত ঘূৰি ঘূৰি গৈ ষোড়শী পাৰ্ব্বতীক সেই অৱস্থাত দেখিলে। দেখি তেওঁ নিজক চম্ভালিব নোৱাৰিলে। লাজ-কাজ কাতি কৰি থৈ তেওঁ পাৰ্ব্বতীক ধৰি ললে আৰু নানাপ্ৰকাৰে লটিঘটি কৰিলে।

'দুৰ্গাক দেখি গোঁসাই আকুলিত চিত।
ভেবেসে গৈল গোঁসাই ভৱানীৰ ভিত॥
ভাক দিয়া তুলিম, দেৱী পাইবে ডৰ।
লাস কৰি হাত দিলা হৃদিৰ উপৰ॥
চেতন পাইয়া দেৱী বসিলন্ত উঠি।
গোঁসাই ধৰিলা বস্ত্ৰ আঞ্চলেৰ মুঠি॥'

• • •

খোপাই হাত না দিও গোঁসাই যে আউল হৈব কেশ।
আমি অল্পমতি গোঁসাই অলপ যে বয়স॥
গলাই হাত নাদিও গোঁসাই যে ছিণ্ডিবেক হাৰ।
আমি অল্পমতি গোঁসাই নাজানো শৃঙ্গাৰ॥' ইত্যাদি (মনকৰ)

এইদৰে দুয়োৰো মাজত এখন খণ্ড যুদ্ধ হৈ গ'ল। তাতে দেৱীৰ হাতৰ শঁ‍াখা ভাগি গ'ল, কপালৰ সিন্দুৰ আৰু চকুৰ কাজল আধা মচা হ'ল, ডিঙিৰ হাৰ ছিগিল, ভৰিৰ নেপুৰ খহি গৈ কোনোবা মাটিত পৰিল। এই অৱস্থাত তেওঁ এতিয়া ঘৰলৈ উভতি যায় কেনেকৈ? শঙ্কৰে তেওঁক তেতিয়া বুদ্ধি দি কলে, 'তুমি কবা— তোমাৰ টাঙি আনি ফুল ছিঙোতে গছৰ ডালত লাগি হাতৰ শঁ‍াখা ভাগিল, [illegible] [illegible] [illegible] যোৱাত [illegible], কাজল আদি [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible]

পৰিল। এইবেৰা কথাও যদি তুমি সঁচাকৈয়ে সজাই পৰাই তাঁলকৈ বিশ্বাসৰ যোগ্য কৰি কব নোৱাৰা তেন্তে আইটী, যবলৈ যাব নাগাগে, এই বুঢ়াৰ লগতে থাকি যোৱা, মৰে পিছে-পৰে যি লাগে কৰিম।'

'এই কথা তুমি গৈয়া বাপেৰ আগে কহ।
কহিতে নাপাৰ যদি মোৰ লগে ৰহ॥' (মনকৰ)

যবলৈ গৈ পাৰ্ব্বতীয়ে পিতাক হেমন্তৰ ওচৰত অগ্নি-পৰীক্ষা, সিন্দুৰ পৰীক্ষা, তুলা পৰীক্ষা আদি বহুত কঠোৰ পৰীক্ষাত উত্তীৰ্ণ হৈহে নিজৰ নিকলুষতা প্ৰমাণ কৰিবলৈ সমৰ্থ হৈছিল।

ফুলনিবপৰা গৌৰী গুচি যোৱাত শিৱৰ মন বৰ উকডা উকডা লাগিল। তেওঁ তেনেই উদাস আৰু বনিয়াৰ দৰে হ'ল। ভাবি-চিন্তি তেওঁ পাৰ্ব্বতীক বিয়া কৰাই আনিবলৈকে স্থিৰ কৰিলে; কিন্তু সেইটোও হ'ল সময়-সাপেক্ষ কাম। গতিকে খোজা-বঢ়া কৰি বিয়া কৰাই অনাৰ আগতে তেওঁ পাৰ্ব্বতীক আৰু এবাৰ চাই লবলৈ মন মেলিলে। সেই উদ্দেশ্য মনত লৈ তেওঁ ভিক্ষাৰী বেশত ঋষি হেমন্তৰ ঘৰত ওলালগৈ—কান্ধত ভিক্ষাৰ ঝুলি, হাতত এঁটি বাঁহী।

'হাতে লৈল লাঠি গোঁসাই কান্ধে লৈল ছাতি।
চলিল হৰৰ দেৱ যথাত পাৰ্ব্বতী॥
ঋষিৰ দ্বাৰত গৈ ব'শীৰ দিলা তান।
শুনিয়া পাৰ্ব্বতীৰ ভৈল আকুল পৰাণ॥',

গৌৰী, দুৰ্গা, পাৰ্ব্বতীৰ নাম সবনে বাঁহীত বাজিবলৈ ধৰাত পাৰ্ব্বতীয়ে ভিক্ষাৰপৰা মহাদেৱৰ কাণ্ড্য বুজাকৈ নাথাকিল। ভোঁজ্ঞক ওলাওঁলৈ, তিনি যাক যেনকাই ভিক্ষায় হাতত লৈ দিজে ভিক্ষাৰীৰ অদ্ভুত-বিত্ৰ ভিক্ষাহি। চতুৰ ভিক্ষুকে তেতিয়া কলে যে তেওঁ ব্ৰতাচাৰী ভিক্ষাৰী, জীৱনত তেওঁ কতো কোনো দিন বিবাহিতা নাৰী বা কোনো পুৰুষৰ হাতে ভিক্ষা লোৱা নাই আৰু নলয়; কোনোবাই জোৰ কৰি দিলেও সেই ভিক্ষাৰ তেওঁ গ্ৰহণ নকৰে। "নিকপায় হৈ যেনেকৈ তেতিয়া ভিক্ষাৰলৈ 'হাত আৰু ভিক্ষাৰ হাতত দি আঁতৰে পাৰ্ব্বতীক বাহিৰলৈ পঠিয়াই দিলে। "পাৰ্ব্বতীয়ে ভিক্ষা দিবলৈ দুৱাৰ ওলাবৰ ভিতৰপৰা ভিক্ষাৰীৰ আগলৈ চাই যোৱত দেখিলত পুৰুষ
[illegible]

হাত' (জগজ্জীৱন)। আচৰিত ভিক্ষুকৰ এনে অকাৰ্য্য ঋষিপত্নী সকলৰ চকুত লগৰাকৈ নাথাকিল। তেওঁলোক সকলোৱে ভিকাৰীক বেৰি ধৰিলে। ঋষি হেমন্তই ভিকাৰীৰ দুঃসাহসৰ কথা শুনি খঙত বিতত হ'ল আৰু হাতত ধৰি টানি নি এটা সৰু নিৰ্জ্জন কোঠাত সুমাই থৈ স্নান কৰিবলৈ গ'ল। তেওঁ সেইদিনা বছা বছা ফুল পাঁচটা সৰোবৰৰ নিৰ্ম্মল জলত দেৱাদিদেৱ মহাদেৱৰ নামত উছৰ্গা কৰিলে। স্নান শেষ কৰি উভতি আহি ভোজনলৈ যোৱাৰ আগতে তেওঁ বন্দী কৰি থোৱা লম্পট ভিকাৰীটোক বিদায় দিবলৈ পাঙিলে আৰু সেই উদ্দেশ্যে তেওঁ ভিকাৰীক থোৱা কোঠাটোত সোমালগৈ। ঋষিয়ে যি দেখিলে তাত তেওঁ তেনেই হতভম্ব হ'ল। যি কেইপাহ ফুল তেওঁ শিৱ-শঙ্কৰ-মহাদেৱৰ নামত জলত উছৰ্গা কৰিছিল, সেই আটাই কেই-পাহ দেখোন ভিকাৰীটোৰ চৰণ যুগলত সমৰ্পিত হৈ পৰি আছে। ভালকৈ চাই তেওঁ ভিকাৰীজনকো জঁটীয়া মহাদেৱ যেনেই দেখিলে। তেওঁ অলপ সময় চকু মুদি ধ্যান কৰি চাই সকলো বুজিলে আৰু গোঁসাইৰ চৰণত সাষ্টাঙ্গে দণ্ডৱৎ জনাই অজ্ঞানকৃত দোষৰ বাবে ক্ষমা খুজিলে। মহাদেৱে এই ছেগতে সন্তুষ্টি প্ৰকাশ কৰি হেমন্তৰ ওচৰত কন্যাদানৰ প্ৰাৰ্থনা জনালে। ঋষি তেওঁলৈ কন্যাদান কৰিবলৈ মান্তি হ'ল। বিয়া কেনেকৈ সমাধা হ'ল সেই পৰ্ব্ব আগতে কোৱা হৈছে।

বিয়াৰ পাছ নিশাই ভণ্ডুৰা শঙ্কৰৰ প্ৰকৃত চৰিত্ৰ ফুটি ওলাল। পাৰ্ব্বতীক শেতেলিত অকলে এৰি থৈ তেওঁ শেষ নিশা গঙ্গাদেৱীৰ কাষ পালেগৈ। শিৱই বৰ দৈণী গঙ্গাদেৱীৰ লগত আলাপ-আলোচনা কৰি শুই থাকোঁতে তেওঁৰ সন্ধানত উমানে উমানে গৈ পাৰ্ব্বতী তাত ওলাল। গঙ্গাৰ লগত তেনে অৱস্থাত শিৱক পাই তেওঁ ক্ৰোধ দমন কৰিব নোৱাৰিলে আৰু মুখত যি আহিল তাকে কবলৈ ধৰিলে—

'আজিলৈ তোমাৰ শঙ্কৰ মুখে নাহি লাজ।
বিয়াৰ ৰাতিয়েই তুমি কৰা হেন কাজ॥' (জগজ্জীৱন)

শিৱই পাৰ্ব্বতীৰ এই আচৰণ সহ্য কৰি নাথাকিল। দুয়োৰো মাজত এনে সতিনী ভাৱ থাকিব। তোমালোকে কোনোমতে দুয়োকো বুজাই-বঢ়াই বাস কৰিবা।

আজিও আমাক পিছ দিবা [illegible] তোমালোকে [illegible] [illegible] [illegible]
[illegible] [illegible] [illegible] [illegible] কৰিবা। [illegible] [illegible] [illegible]
বাৰ পোৱাত তেওঁ উত্তৰ দিছিল—

'তিৰী লৈয়া পন্থ হাখিবাৰ নোহে যোগ।
দেৱাসুৰ নৰে শুনি হাসিবেক মোক ॥ (শ্ৰীকৰ)

মহাদেৱৰ এই পুষ্পবনখনৰ নাম আছিল পুষ্পবাৰী। সেই পুষ্পবাৰীলৈ যাওঁতে বাটত এখন নৈ পাৰ হব লাগে। যাও-নাযাওঁকৈ বিবাদ-মনে শিৱই বৃষভত চৰি গৈ সেই নদী নৌপাওঁতেই নাৰদ মুনিয়ে ইফালে গৈ দুৰ্গাদেৱীক লগালে—'মামী, তোমাৰ হব লগাখিনি হ'ল। আমি মিছাই ইমান কষ্ট কৰি তোমাক মোমাইলৈ নিয়া কৰাই আনিলোঁ। মোমা ইমানতো সন্তুষ্ট নহ'ল, তেওঁ আৰু এজনী আনিব খুজিছে। এইবাৰ কিন্তু তেওঁৰ নজৰ তালত নপৰিল। আমি তেওঁক একো কাও নোৱাৰোঁ। তেওঁৰ নজৰ এইবাৰ ঘাটৰ যুৱতী ছোৱালীজনীৰ ওপৰতে পৰিছে। তুমি পাৰা যদি শীঘ্ৰে তাৰ কিবা এটা প্ৰতিকাৰ কৰা।'

কথা শুনি চণ্ডিকাই এক মুহূৰ্তৰ বাবেও বৈ নাথাকিল। নাৰদৰ কথাত অবিশ্বাস কৰিবলৈও তেওঁ যুক্তি নাপালে, কাৰণ আগনিশা তেওঁ গিৰিয়েক মহাদেৱৰ কাৰ্য্য নিজ চকুৰে দেখিছে। তেওঁ কেতিয়া মায়া কৰি তুৰন্তে গৈ ঘাটত ওলাল আৰু তা'ত সঁচাকৈয়ে এজনী ৰূপহী ধীৱৰ-কন্যাক ঘাটত মানুহ পাৰ কৰি থকা দেখিলে। চুটি বাটেদি গোনাই যাওঁতে তেওঁ শিৱক বাটত ক'তো লগ নাপালে। তেওঁ ঘাটৰ জীয়েকক শিৱৰ কথা কেনেকৈ বিতং বৰ্ণনা দি শুধিছিল সেই বিষয়ে ওজা-পালিয়ে এটা ঝুনা গীতত এইদৰে গায়—

'দিহা—অয়ে বাবা, হ'ম'ৰ শিৱ—হ'মাৰ ভোলা—অয়ে বাবা
হামাৰ ভে'লা—নাথ নাৱে পন্থে—যাইতে দেশ'মে বে—।'

পদ— খনো উৰণ
খনো বুৰণ
খনো নূপুৰ পাৱে—
পৰিধান বাঘৰ ছাল ভস্মধুলা গাৱে ॥
কানে শোভে মুণ্ডমালা শিৰে শোভে জটা।
হৰে কপালে শোভে অৰ্দ্ধচন্দ্ৰ ফোঁটা ॥
কণ্ঠত [illegible] শোভা ত্ৰিশূল [illegible]।
ডম্বৰু [illegible] হাতে [illegible] ত্ৰিপুৰাৰী [illegible]

বৃষভত চৰি হাতে ডম্বৰু লৈ।
ডুব্ ডুব কৰি ফুৰে ডম্বৰু বজাই।।
কহয় মাধৱ দাসে শুনা মন ভাই।
হৰ-পাৰ্ব্বতীৰ গীত মাধৱদেৱে গায়।।

ঘাটৰ জীয়েকৰ মুখে যেতিয়া শুনিলে যে বৃষভবাহন ত্ৰিপুৰাৰি নৈ পাৰ হৈ যোৱা নাই, তেতিয়া পাৰ্ব্বতীয়ে ভাবিলে, নাৰদে কোৱা ধীৱৰ-কন্যা নিশ্চয় এই ঘাটৰ জীয়েকেই হব। তেওঁ তেতিয়া ঘাটৰ জীয়েকক বহুত ধন-পইচা দি দুই ডাঁৱমান সময়ৰ বাবে নিজে নাৱত বহি নৈ মানুহ পাৰ কৰিবলৈ ধৰিলে। ঘাটৰ জীয়েক ঘৰলৈ গ'ল। ঠিক এনে সময়তে বৃষভত উঠি শিৱ গৈ ঘাটত উপস্থিত হ'ল। শিৱক দেখি দুৰ্গাৰ আনন্দ চায় কোনে? শিৱই ঘাটক শীঘ্ৰে নাও আনিবলৈ চিঞৰি কৈ নৈখন পাৰ হবলৈ বৃষভক পানীত নমাই দিলে।

'খেৱাৰ ঘাটে থাকি হৰে
ডাক পাৰে শঙ্কৰে
নৌকা লৈয়া আইস সত্বৰে।' (সুকবি নাৰায়ণদেৱ)

নাও আহি পোৱাত আথেবেথে শঙ্কৰ না'ৱত উঠিল। নাৱত পাৰ হবলৈ আৰোহী তেতিয়া আৰু কেও নাছিল। শঙ্কৰে অকলে অকলে আৰাম কৰি বহি বাহু-তুলি-ব'ঠা মাৰি থকা ভৱানীৰ মুখ আৰু মাংসপেশীৰ ৰূপ-লাৱণ্য উপভোগ কৰি আছিল। ডুমুনীৰূপী ভৱানীৰ ৰূপ দেখি শঙ্কৰ মোহ গ'ল। তেওঁ আৰু ধৈৰ্য্য ধৰি স্থিৰে থাকিব নোৱাৰিলে, মনে চিলো চিলো লগালে।

'ভুবন মুহিতে পাৰে হেন ৰূপ ডুমুনী ধৰে
দেখি শিৱৰ আউ-পাঁচ মন।
ৰমণ কৰিতে আশ শিৱে বোলে আস পাশ
নাৰায়ণ [illegible]।।' ([illegible])

শঙ্কৰে দুই [illegible]
[illegible]
[illegible]
[illegible]

'হুমুনীয়ে বোলে বুঢ়া হৈলি কি কাৰণে।
আপোনাৰ ভাল-মন্দ নুবুজা আপুনে॥
বানৰৰ মুখে যেন ঝুনা নাৰিকল।
কাকৰ আগত যেন পকা ছিৰিফল॥
আমি ভৰ যুৱতী যে তুমি বৃদ্ধ বুঢ়া।
দান্ত পৰা বাঘে যেন খাব খোজে মুৰা॥'

(সুকবি নাৰায়ণদেৱ)

যুৱতী এজনীয়ে শিৱক বুঢ়া বুলি তেনেকৈ উপলুঙা কৰাত তেওঁ আনো নীৰৱে থাকিব পাৰে? তেওঁ গুপৰাই উত্তৰ দিলে—

'শিৱে বোলে শুনা হেৰা থাকয়া হুমুনী।
বুঢ়াৰ গাৱৰ বল পৰীক্ষিলে জানি॥
চাৰি যুগৰ বুঢ়া আমি ধৰি আছা ভাল।
পৰীক্ষিলে বুজিবি বুঢ়াৰ ঠাকুৰাল॥
শিৱে বোলে শুনা হেৰা নহও মই বুঢ়া।
বায়ুৰ দোষত এনে হৈছোঁ পকামুঢ়া॥'

(সুকবি নাৰায়ণদেৱ)

—বাৰু তেন্তে মানি ললোঁ—বায়ুৰ দোষতে এনে হৈছা, পিছে তুমি ভাল-দৰিদ্ৰ হৈ হাতত ধন-বিত নহলে যুৱতী ভাৰ্য্যা এজনীক পুহিব পাৰিম বুলি সাহ কৰিছা কেনেকৈ? জানাই দেখোন এই পৃথিৱীত ধনেহে ধৰ্ম্মৰ মূল; আৰু যুৱতীসকল সদায় ধন ঐশ্বৰ্য্য, ৰং-ৰহইচ আৰু আমোদ-প্ৰমোদৰ বশ। তোমাৰ সেইবোৰ ক'ত?

'—শিৱে বোলে শুনিবা কালি কৌচল [illegible]।
ভিক্ষা কৰি যত পাওঁ আনি দিবো তোক॥' ([illegible])

এইদৰে বুঢ়া [illegible]

'ৰতি ভুঞ্জি মহাদেৱে হৈল হৰষিত।
চণ্ডী বোলে এই কালে কৰাও লজ্জিত॥'

দেৱীয়ে তেতিয়া মায়া এৰি তৎক্ষণাৎ নিজ ৰূপ ধৰাত সদাশিৱে লাজ পাই অধোমুখ হ'ল আৰু তেনেই সৈমান হৈ 'অজ্ঞানে কৰিলোঁ পাপ ক্ষমা কৰা মোক' বুলি চণ্ডিকাৰ হাতত ধৰি ক্ষমা ভিক্ষা কৰিলে। তেতিয়া বুঢ়া শিৱৰ কাতুৰ্বাদত তুষ্ট হৈ ভৱানীয়েও তেওঁক দ্বিতীয় দোষ বুলি ক্ষমা কৰি পুষ্পবনলৈ যাবলৈ অনুমতি দি ঘৰলৈ উভতিল।

পুষ্পবন পাই ভাং-ধুঁতুৰা খাই ভোলানাথে মনত বল অহা যেন পালে। তাতে এটাটো ক্ৰমে ৰঙ্গিত ৰঙ্গিত লগ'ত তেওঁ নাচিবলৈ ধৰিলে। নাচোঁতে নাচোঁতে গাৰ ঘাম বৈ গ'ল আৰু সেই ঘাম নেত্ৰ-বস্ত্ৰেৰে মচি ছেপি পেলোৱাত তাৰ পৰাই এজনী দীপলিপ পাট-গাভৰু উপজিল। এৱেঁই নেতা দেৱী। জন্মৰপৰাই এওঁ যুৱতী আছিল।

'নেত্ৰক ছেপিয়া শিৱে পেলাইলা তহিত।
নেতা নামে কন্যা এক জন্মিলা ভূমিত॥'

(সুকবি নাৰায়ণদেৱ)

ভাঙৰ জালত মহাদেৱে পোনতে নিজ কন্যা নেতাদেৱীকো চিনিব পৰা নাছিল আৰু তেওঁৰ প্ৰতিও ভণ্ডুৱা কামুকৰ লোলুপ দৃষ্টি নিক্ষেপ কৰিছিল; পিছত নিজৰ চিনাকি যথাযোগ্যভাৱে দিহে নেতাদেৱী কোনোমতে ৰক্ষা পৰিল।

শিৱ পুষ্পবনত ভালেকেইদিন থাকিল। তাতে থাকোঁতে এদিন দেখিলে যে জলত যেনেকৈ মাছ আৰু জলচৰ পক্ষীবোৰে যোৰে যোৰে, হাঁলে হাঁলে মতা-মাইকী একেলগে ফুৰিছে, পাৰতো তেনেকৈ বনৰীয়া জন্তু আৰু পক্ষীবোৰে কাম-কেলি কৰি ফুৰিছে। গান কৰিবলৈ পানীত নামি এইবোৰলৈ চাই থাকোঁতে ভোলানাথৰ দৃষ্টি পৰিৰ কেলগছ একোণাত পৰিল। গছৰ [illegible]

[illegible]

পদুমৰ পাতত বঁতিয়াই দিলে। পদুমৰ নলাইদি সি গৈ পাতালপুৰী পালে। পাতালৰ ৰজা বাসুকীনাগে ধ্যানৰ বলত সকলো জানিব পাৰি শিৱিৰ নিৰ্ম্মাণীক মতাই আনি তেওঁৰ হতুৱাই তাৰে মহাদেৱৰ ৰূপ-গুণ দিশিই এজনী কন্যা নিৰ্ম্মাণ কৰালে। এৱেঁই দেৱী পদ্মাৱতী। ওজাপালিয়ে তাকেই পদত গায়—

'জয় জয় পদ্মাৱতী পাতালে উৎপত্তি
নিৰ্ম্মাণীয়ে কৰিলে নিৰ্ম্মাণ।
বীৰ্য্যহন্তে ৰক্ত ভৈলা ৰক্ত হন্তে মাংস ভৈলা
তাতে জীৱ ভৈল অধিষ্ঠান ॥' (সুকনান্নী)

দেৱ-বীৰ্য্যে ওপজা কন্যা, জন্ম লাভ কৰাৰ পাছতেই ষোড়শী হৈ পৰিল। তেওঁ তেতিয়া বাসুকীৰ অনুমতি লৈ পিতৃ মহাদেৱৰ সন্ধানত পুষ্পবনলৈ আহিল। মহাদেৱে জীয়েৰক চিনিব নোৱাৰিলে। তাণ্ডৱ নিচাত তেওঁৰ চকু ঢুলু ঢুলু হৈ আছিল। ৰূপৱতী পদ্মাৱতীক সমুখত দেখি জঁটীয়া শিৱ এইবাৰো বিচলিত নোহোৱাকৈ নাথাকিল। নিৰ্জ্জন পুষ্পবনত অকলে অকলে বিহৰি ফুৰা ষোড়শীক দেখি—

'শিৱ বোলে মোৰ বাক্য শুনহ সুন্দৰী।
কোথা হন্তে আসি আছা কাহাৰ কুমাৰী ॥
তোৰ মুখ দেখি মোৰ দহে কলেৱৰ।
আলিঙ্গন দিয়া মোৰ প্ৰাণ ৰক্ষা কৰ ॥

(সুকবি নাৰায়ণদেৱ)

শিৱৰ হাতত তেওঁ বস্তুতঃ ধৰ্ষিতা হবই ধৰিছিল, পিছে নিজ শক্তিৰ পৰিচয় দেখুৱাবলৈ বিষ-নয়নেৰে চাই শিৱক মূৰ্চ্ছিত কৰি পেলাই তেহে ৰক্ষা পৰিল। দেৱতাসকলে তেতিয়া আহি দেৱী পদ্মাৱতীক নানাপ্ৰকাৰে স্তুতি-নতি কৰাত তেওঁ পুনঃ পিতৃ মহাদেৱক অমৃত নয়নেৰে চাই জীয়াই দিয়ে। তেতিয়াহে পিতৃ-দুহিতৰ পৰিচয় ঘটে, আৰু শিৱই পদ্মাক কৈলাসলৈ [illegible]

সেই পুষ্পবনত ভোলানাথৰ মন ভুলাইছিল আৰু তাৰেই ফলত হৈছো গণেশৰ জন্ম। অন্য এবাৰ কুঁচুনীৰ বেশত সেই তেওঁৰ লগত সঙ্গম কৰিছিল; কাৰ্ত্তিকৰ জন্ম তাৰেই ফল। মহাদেৱৰ কুঁচুনী ৰমণ সম্পৰ্কে অন্যান্য কবিয়েও ঠাই-ঠাইত উল্লেখ কৰিছে। হব পাৰে কৃষ্ণৰ গোৱালিনী প্ৰীতিয়েই ৰূপান্তৰ হৈ কবি-কল্পনাত হৰৰ গোৱালিনী-প্ৰীতি ৰূপে পৰিণতি লভিছে। মহাদেৱৰ কুঁচুনী-বিহাৰ কিন্তু অপেক্ষাকৃত অৰ্ব্বাচীন কবিৰো বৰ্ণনাত পোৱা যায়। প্ৰবাদমতে কোঁচৰজা বিশ্বসিংহও শিৱৰ অংশে জাত। শিৱবংশী কোঁচৰজা-সকলৰ বিষয়ে এইদৰে কথিত আছে বোলে, এদিন হাৰিয়া মণ্ডল নামৰ এজন মেচবংশী কৃষকে খেতিৰ পথাৰত দুপৰীয়া পৰিশ্ৰম কৰি থাকোঁতে তেওঁৰ পত্নী হীৰাই তেওঁলৈ জা-জলপান লৈ গৈছিল। হীৰাৰ ৰূপত মুগ্ধ হৈ মহাদেৱে হাৰিয়া মণ্ডলৰ ৰূপ ধৰি বাটতে এজোপা শিলিখাৰ তলত হীৰাৰ হাতৰ জা-জলপান সোপাকে খায় আৰু তেওঁকো তাতেই গছৰ ছাঁত হৰণ কৰে। হীৰা-হাৰিয়াৰ তেতিয়ালৈকে সা-সন্তান একো হোৱা নাছিল। এতিয়া তেওঁ সন্তান-সম্ভবা হ'ল আৰু যথাসময়ত এটি সুপুত্ৰ ভূমিষ্ঠ কৰিলে। তেৱেঁই পিছৰ ৰজা বিশ্বসিংহ। বিশুৰ দিনা জন্মিছিল বাবে তেওঁৰ এটা নাম বিশু।

'মনোৰঙ্গে সদাশিৱ হাসি কৌতুহলে।
হীৰাক হৰিলা সেই শিলিখাৰ তলে।।'

(দৰং ৰাজবংশাৱলী)

ৰাকক বনৰ ঋষিপত্নীসকলৰ কথা বাদ দিলে দেখা যায় যে শিৱ কামুক আছিল যদিও তেওঁৰ কামুকতা বাহিৰৈ মহামায়া দুৰ্গাক লৈয়ে আৰম্ভ আছিল। দুৰ্গাই বাৰে বাৰে সেই তেওঁক বিচলিত কৰিছিল। ঋষিপত্নীসকলো হয়তো [illegible]

বলিয়া গোঁসাই, জটীয়া ডাঙৰা

সৰ্ব্বসাধাৰণে নকৰা কামবোৰ কৰি ফুৰা মানুহক সমাজত বলিয়া বা পগলা বুলি গণ্য কৰা হয়। দেৱতাসকলৰ ভিতৰত মহাদেৱৰ ক্ষেত্ৰতো সেয়ে হ'ল। তেওঁকো মানুহে বলিয়া গোঁসাই বুলি গণ্য কৰিবলৈ ধৰিলে। তাৰ কাৰণ বহুতো, প্ৰথম কাৰণ, তেওঁ গাঞ্জা-ভাং-ধোঁটা আদি খাই নিচা লগাই ফুৰে। ভীমচৰিতত ভীমে তেওঁৰ বৰ্ণনা দি পাৰ্ব্বতী আইৰ আগত কৈছিল—

'ভাঙ ধঁতুৰা গুৰি জুমুঠি হাতত।
বাটে হোকা খাই শিৰ ক্ষয় সতত॥
ভুঁই কৰোঁ বুলি ঐৰপৰা চলি যায়।
গছৰ তলত বসি থাকে ভাঙ খাই॥
লাহে লাহে বায়ু যদি লাগিল গাৰত।
বাঘ-ছাল পাৰি শোৱে তাহাৰ তলত॥
নিদ্ৰা গৈয়া অচেতনভাৱে থাকে পৰি।
ধোন্দা কাকে চাৰিফালে খুঁটিয়াৰে বেঢ়ি॥
গধূলি সময় ভৈলে লভয় চেতন।
ঘৰক আসয় মাৰি যাও চাৰি যান॥' ইত্যাদি

দেৱতাৰ এনে কাৰ্য্য শোভনীয় নহয়। দেৱতা নালাগে, মানুহৰ ভিতৰতো তেনুৱা লোকক সকলোৱে পগলা বুলি ইত্তিকিং কৰে। দেৱতা হৈ নিচাত আসক্ত হলে তেওঁকো বলিয়া গোঁসাই নুবুলি বুলিব কি?

দ্বিতীয় কাৰণ, দেৱতা হৈও মানুহৰ দৰে তেওঁ যোঁৱা-বঢ়া কৰি বিয়া বাৰু কৰাই সংসাৰ পাতিছিল। সন্তান-সন্ততিও [illegible] পাইছে; [illegible]

উতহুৱা ডেকাৰো বিয়াৰ পাছত স্বভাৱৰ পৰিবৰ্ত্তন হয়, তেওঁৰ কিন্তু নহ'ল। বিয়াৰ পাছত সুন্দৰী যুৱতী পাৰ্ব্বতীক ঘৰলৈ আনিও তেওঁ আগৰ দৰেই টলৌ-টলৌকৈ ঘূৰি ফুৰিবলৈ ধৰিলে। অসমীয়া লোকগীতি এটাত জঁটীয়া ভাঙৰা শিৱ গোঁসাইৰ এই প্ৰকৃতিটো বৰ্ণনা কৰি কোৱা হৈছে—

'দিহা—অ' মোৰ জঁটীয়া, অ' মোৰ জঁটীয়া
ঘৰ-বাৰী এৰি থাকে শ্মশানে পৰিয়া
অ' মোৰ জঁটীয়া।

পদ— ক্ষীৰ লাড়ু খাই শিৱে থাকে ভালা ভালা।
জঁটীয়া ভাঙৰ গুড়িত—সদায় পগলা।।
লাল্‌কি মোহন বাঁহী শিৱে নকৰে বাজনা।
ঘুটুকটুক্ ডম্বৰু শিৱৰ সদায়ে বাজনা।।
ৰত্নৰ সিংহাসনে শিৱে নকৰে বৈশনা।
চিকৰা ব্যাঘ্ৰৰ চৰ্ম্ম সদায় চলনা।।
তুৰ্‌কী ঘোঁৰাৰ উপৰে শিৱ নকৰে বৈশনা।
বৃষভ বাহনে শিৱৰ সদায় চলনা।।
জঁটীয়া ভাঙৰ গুড়ি গাল ভৰিয়া খায়।
ভাং নাপালে শঙ্কৰ কুঁচি পাৰাক যায়।।
খনো উৰণ খনো বুৰণ খনো নূপুৰ পায়ে।
পৰিধান বাঘৰ ছাল ভস্ম-ধূলা গায়ে।।
গলে শোভে মুণ্ডমালা শিৰে শোভে জটা।
হৰৰ কপালে শোভে অৰ্দ্ধ চন্দ্ৰৰ ফোঁটা।।
ভকত ভাৱে বুলা নাম ত্ৰিপুৰাৰি।
জগতক দিয়ে দান আপুনি ভিকাৰী।।
বৃষভত চৰি হাতে ডমৰু ল'ই।
ডুব্ ডুব্ কৰি তুলে ডমৰু বজাই।।
[illegible]।
[illegible]।।

[illegible]

পাৰ্ব্বতী হয় নৰ্ত্তকী; তেওঁ কিৰাত হলে পাৰ্ব্বতী হয় কিৰাতিনী। দুয়ো যেতিয়াবা আনন্দমনে ভাং খুন্দাত লাগি যায়। কেনেকৈ দুয়ো ভাং খুন্দিছিল তাৰ বৰ্ণনা দি আয়তীসকলে গীত গায়—

'ধুমুৰ ধুমুৰ ভাঙৰ গুড়ি খুন্দে
নন্দী-ভৃঙ্গী উৰাল ধৰে।
পাৰ্ব্বতী আয়ে চালে জাৰে
ডম্বৰু বাই সদাশিৱ নাচে॥

তৃতীয়তে মহাদেৱ যদিও আৰ্য্যসকলৰ প্ৰধান তিনিজনা দেৱতাৰেই একজন তথাপি অনাৰ্য্য ভাৱ-ভঙ্গী, কাৰ্য্য-কলাপ তেওঁৰ পৰা কিতি আৰু সাজপাৰত দেখ্ দেখ্ হৈ থাকে। তেওঁ ব্যাঘ্ৰচৰ্ম্মপৰিহিত অৰ্দ্ধনগ্ন, কেতিয়াবা তাঙৰ আলত উলঙ্গ হৈও পৰে আৰু সেইবাবেই তেওঁৰ অন্য নাম দিগম্বৰ। কণ্ঠত তেওঁৰ সৰ্পমাল্য, বাহন বলধ, থাকে পৰ্ব্বতত। পৰ্ব্বতত থাকে দেখিয়ে তেওঁৰ এটা নাম গিৰিশ। ভূত প্ৰেতবোৰ তেওঁৰ চিৰসঙ্গী আৰু চিতা-ভস্ম অঙ্গৰ প্ৰসাধন; ভাং আৰু সিদ্ধি তেওঁৰ অপৰিহাৰ্য্য পেয়; জটা, ত্ৰিশূল আৰু বাঘৰ ছালেৰে তেওঁক জধলা আৰু জড়াগ্ৰস্ত যেন অনুমান হয় যদিও ভাং খাই উঠি তাণ্ডৱ নৃত্য নাচিবলৈ ললে নতুবা মনোমত কামিনীসঙ্গ পালে কোন ডেকা দেৱতাই তেওঁৰ লগত ফেৰ মাৰিব পাৰিব? যাৰ ৰূপ মহাজ্ঞানী ঋষিসকলেও ধ্যান কৰি এবাৰ চাই লবলৈ বিচাৰে, তেওঁ যে দাৰুক বনত ঋষি-পত্নীসকলৰ সন্মুখ বিচাৰি সাধাৰণ চৰিত্ৰহীন যুৱকৰ দৰে ভেশচন কৰি ওলালে সেই দেৱতাজনাক বলিয়া গোঁসাই বুলি কি বোলা যায়? তেওঁৰ দুৰ্ব্বলতাবোৰ সকলোৱে জানে যদিও তেওঁক কোনেও কোনো দিন অশ্ৰদ্ধা নকৰে আৰু পূজা নকৰাকৈও নাথাকে। তাৰ কাৰণ সকলোৱে জানে যে খং উঠিব লাগিলে তেওঁ ঘোৰ অঘটন ঘটাব পাৰে। তাৰ উপৰি তেওঁ আশুতোষ, নিচেই অলপতে তুষ্ট হয়, সঙ্কিতে সুখী-দুখী সকলোৰে তেওঁ অতি আপোন আৰু প্ৰিয় দেৱতাও। এনেবোৰ কাৰণতে গাঁৱৰ চুবুৰিয়ে-ঘৰবিয়ে, গছৰ তলে বাহৰ-তলে বলিয়া গোঁসাই জটীয়া শিৱৰ পূজা চলি আছে। একেবাৰে আওহতীয়া গাঁৱৰ খোজকট ঠাইবোৰতো বলিয়া গোঁসাইৰ থান, জটীয়া তাণ্ডৱৰ থান, মহাদেৱৰ থান, ভাঙনা গোঁসাইৰ থান, বুঢ়া আতৈয়া বা বুঢ়া গোঁসাইৰ থান আদি নামেৰে নামত শিৱ পূজাৰ অনুষ্ঠান

চলি থকা দেখা যায়। এই অনুষ্ঠানবোৰ সাধাৰণতে গহীন হাবিৰ মাজত অৱস্থিত আৰু তেনেই অনাড়ম্বৰভাৱে ৰক্ষিত। কোনো কোনো ঠাইত আনকি মন্দিৰ বা গোঁসাই-ঘৰটোও তাত নাই, কেৱল পূজাৰ থলাটো মাত্ৰ আছে। সেই অনুষ্ঠান বা থলাবোৰত শক্তিপূজাৰপৰা বিষ্ণুপূজা পৰ্য্যন্ত সকলো পূজা-সেৱা কৰা যায়। এটা মন কৰিবলগীয়া কথা এই যে য'তে বুঢ়া-গোঁসাই, মহাদেউ বা মহাভৈৰৱৰ থান বা মন্দিৰ আছে তাৰ ওচৰতে বুঢ়ী গোঁসানীৰ থান বা মন্দিৰো আছে। সেই হেতুকেই উমানন্দৰ ওচৰতে কামাখ্যা আৰু মহাভৈৰৱৰ মন্দিৰৰ অনতিদূৰতে ভৈৰৱী মন্দিৰ অৱস্থিত।

নৰ-মনিচৰ ক্ষেত্ৰত কোনেও নিজৰ দোষৰ কথা আনৰ মুখে শুনিবলৈ ভাল নাপায় আৰু জন্ম-কথা কলে সাধাৰণতে সকলোৱে বেয়া পায়। সেই জন্ম-কথা যদি অলপ কুখ্যাতিপূৰ্ণ হয় তেনেহলে কওঁতাৰ যে প্ৰাণলৈও সংশয় হব পাৰে সেইটোও অস্বীকাৰ কৰা নাযায়। এই বিষয়ত দেৱতাসকল কিন্তু মানুহৰ বিপৰীত-ধৰ্ম্মী বা বিপৰীত প্ৰকৃতিৰ। দেৱতাই নিজৰ জন্ম-কথা শুনি হেনো ৰং পায়—লাগিলে সেই জন্ম-কথা অকথ্য বা অশ্ৰাব্য কু-কথাৰেই পৰিপূৰ্ণ হওক। কথাতে কোৱা হয়, বোলে—

'মনিচৰ জন্ম-কথা কলে হয় খং।
দেৱতাৰ জন্ম-কথা কলে হয় ৰং॥'

গতিকে দেৱাদিদেৱ মহাদেৱকো মানুহে জটীয়া, ভঙুৱা, বলিয়া, নটুৱা আদি এনে এটা কৰ্কশ নাম দি পূজা নকৰক লাগিলে তথাপি ভোলানাথ সেই পূজাত তুষ্ট হয়। সেয়েহে তেওঁৰ প্ৰকৃতি বৰ্ণাই ভক্তসকলে গীত গায়—

'খাই ভাঙৰ গুড়ি নিতৌ তিনি ভুলি
চম্বা ধুতুৰাৰ গুটি।
ভাঙৰে [illegible] [illegible]
[illegible] [illegible] [illegible]॥'

[illegible]

তেওঁত ভক্তসকলে কল্পনাৰে ঢুকি পোৱা নানান প্ৰকৃতি আৰোপ কৰিবলৈ ধৰিলে। ফলত সেই দেৱতা হৈ পৰিল সমাজৰ ভীতি, প্ৰীতি আৰু ৰহস্যৰ আধৰ স্বৰূপ। কাৰ্য্য আৰু আচৰণে তেওঁক বলিয়া বুলি প্ৰমাণ কৰিলে, তথাপি তেওঁৰ পূজা-সেৱা অবিৰাম গতিত চলিয়ে থাকিল। এই অনাৰ্য্য দেৱতাজনাইও কিন্তু আৰ্য্যত্ব প্ৰাপ্ত হোৱাৰ সন্ধিক্ষণত বাৰকৈয়ে শক্তি প্ৰয়োগ কৰিবলগীয়া হৈছিল। 'যোগ্য-ভোগ্যা বসুন্ধৰা' নীতি সকলো ক্ষেত্ৰতে চলি আছে। নাকান্দিলে নিজৰ সন্তানকো মাকে গাখীৰ খুৱাবলৈ পাহৰি থাকে। গতিকে শংকৰেও আৰ্য্য-পূজাৰ অধিকাৰী হবলৈ ঋষি আৰু দেৱতাসকলৰ লগত দস্তৰমতে যুদ্ধ কৰিব লগীয়া হৈছিল। দক্ষ-যজ্ঞই তাৰ প্ৰত্যক্ষ প্ৰমাণ। যজ্ঞ নিজ শক্তিৰে লণ্ড ভণ্ড কৰিহে তেওঁ নিজৰ প্ৰাপ্য সম্মান লাভ কৰিব পাৰিছিল। তেওঁৰ শক্তিৰ সন্মুখত তিষ্ঠিব নোৱাৰিহে আৰ্য্যসকলে 'টানত পৰি ৰাম নাম' লৈছিল। দক্ষ যজ্ঞত তেওঁ বলিয়াৰ দৰে হৈ যি কাণ্ড কৰিলে তেতিয়াৰেপৰা হয়তো লোকসমাজত তেওঁ বলিয়া গোঁসাই হৈয়ে থাকিল। প্ৰজাপতি দক্ষ আৰু শিৱৰ সংঘৰ্ষ আৰ্য্য-অনাৰ্য্যৰ সংঘৰ্ষ আৰু সমন্বয়ৰেই এটি ৰূপক।

এটা উল্লেখযোগ্য কথা এই যে শিৱ আৰ্য্যসকলৰো দেৱতাৰূপে স্বীকৃত হ'ল সঁচা কিন্তু তেওঁ অকল ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্যসকলৰেই পূজ্য হৈ নাথাকিল; শূদ্ৰাদি অন্ত্যজসকলৰো সমানে পূজ্য আৰু নমস্য হ'ল; সিমানেই নহয়, চোৰ-দস্যুবোৰেও তেওঁকেই গৰাকী মানি পূজিবলৈ ধৰিলে—'তস্কৰাণাং পতিঃ' আৰু 'নানা ম্লেচ্ছগণৈঃ পূজ্যতে সৰ্বদস্যুভিঃ'। আৰ্য্যসকলে শংকৰক ত্ৰিমূৰ্তিৰ একমূৰ্তি বুলি গ্ৰহণ কৰিলে সঁচা কিন্তু তথাপিও শংকৰৰ বাসস্থান হ'ল উচ্চ গিৰিশিখৰ কৈলাসতহে; অমৰাৱতী বা বৈকুণ্ঠত তেওঁ ঠাই নাপালে, আনকি দ্বাৰকা, কুৰুক্ষেত্ৰ, বৃন্দাবন আদি বস্তু [illegible] তেওঁৰ স্থান নহ'ল। [illegible] আৰো [illegible] যে 'শিৱ' [illegible] কেৱলেই [illegible] আদিম 'শিৱন্' শব্দৰ অৰ্থ [illegible]। [illegible] 'শিৱ-পুত্ৰ' [illegible]

[illegible]

তলত থকা হৰিণ, চতুষ্পাৰ্শ্বে থকা হাতী, গড়, ম'হ আৰু বাঘ তেওঁৰ পশুপতি নামৰেই পৰিচায়ক—এই কথা অৰণ্যৱণিকাতে উল্লেখ কৰা হৈছে। এই দ্ৰাবিড়ী দেৱতাজনাই আৰ্য্যত্ব প্ৰাপ্ত হৈ পশুপতি নামত আৰ্য্য দেৱতা ৰুদ্ৰৰ লগত এক হ'ল বুলি বহুতৰ ধাৰণা আৰু সেইটো অসম্ভৱো নহয়। পশুপতি দেৱতাই মানৱ সভ্যতাৰ এটা আদিম স্তৰলৈও আঙুলিয়ায়। কাৰো কাৰো মতে তাঙৰ চাত মাৰি থোঁৱা ওপৰলৈ উৰুৱাই যি যোগাবিষ্ট হোৱা তাঙুৰী গোসাঁইৰ কল্পনা মেঘ-মণ্ডিত শুভ্ৰ হিমালয়ৰ পৰাই আহিছে; হিমালয়ৰ তুষাৰাবৃত শুভ্ৰ শৃঙ্গ আৰু পাতল বগা মেঘেই তেওঁৰ শিৰৰ জটা, গিৰি-কন্দৰত ওলমি থকা কৃষ্ণ মেঘেই তেওঁৰ নীলকণ্ঠ, আৰু অচল-অতল হিমাচলেই ধ্যানমগ্ন আৰু আসনস্থ সম্পূৰ্ণ ভোলানাথ। সেই হেতুকে তঙুৰা ভোলানাথৰ পূজাস্থল ভৈয়ামৰ গাঁও-ভূঁইতেই সীমাবদ্ধ থকা নাই, গিৰি-শৃঙ্গ আৰু পৰ্ব্বত-কন্দৰতো সিঁচৰতি হৈ আছে; বিশেষকৈ হিমালয় আৰু তাৰ নামনিত থকা পৰ্ব্বতবোৰত সেইবোৰ দেখিবলৈ পোৱা যায়; অমৰনাথ, পশুপতিনাথ, বদ্ৰিনাথ, মহাকাল আদি তীৰ্থস্থানবোৰেই তাৰ সাক্ষী।

আগতে উল্লেখ কৰা হৈছে যে ওলোটা-ওভোতা প্ৰকৃতি মহাকাল শিৱ-গোসাঁইৰ চৰিত্ৰৰ বৈশিষ্ট্য। বিপৰীতধৰ্মী কাৰ্য্য আৰু স্বভাৱে তেওঁক বলিয়া গোসাঁইৰ স্থান আৰু মান দিছে। বীণা-বেণুৰ ঠাইত তেওঁ বজায় শিঙা, বস্ত্ৰ বা দিব্য পুষ্পৰ মালাৰ ঠাইত তেওঁ পিন্ধে হাড়-মূৰৰ কণ্ঠ-হাৰ; পৰিধানতো পট্ট বস্ত্ৰৰ ঠাইত তেওঁ লৈছে বাঘৰ ছাল, উত্তৰীয় হ'ল বিষধৰ কালসৰ্প। নাচোনতো তেওঁ নাচে ভয়ঙ্কৰ তাণ্ডৱ-নৃত্য; চকু তিনিটাৰে বিকৃত ৰূপ পোৱা বাবে নাম পালে বিৰূপাক্ষ; গাঁজা-ভাং-ধোঁতা তেওঁৰ নিত্য সেৱ্য সামগ্ৰী; অমৃত-মন্থনৰ সময়ত আন দেৱতাসকলে ঐৰাৱত, লক্ষ্মী, পাৰিজাত আদি ভাল ভাল বস্তুবোৰ ভগাই ললে, তেওঁৰ ভাগত দিলে কেৱল গৰল। আন সকলোৱে অমৃত-ৰ ভাগ পালে, কেৱল তেওঁহে ঠাইত দেৱতাসকলৰ অনুৰোধত দানৱ-মানৱ-দেৱতা সকলোকে ৰক্ষা কৰিবৰ কাৰণে তেওঁ কালকূট বিষ পান কৰি নীলকণ্ঠ হ'ল; এই বিষ পান কৰাৰ পিছত সদাই তেওঁৰ [illegible] ভাং, ধতুৰা আদি মাদকদ্ৰব্যৰ [illegible]; [illegible] তেওঁ [illegible] [illegible] [illegible] [illegible] [illegible]

বুলি পূজা কৰিবলৈ ধৰিলে। টিকিকা খোৱা কানীয়াসকলেও পোন-প্ৰথমে ভাতৰা গোসাঁইৰ নামত ভাল ড.ল জা-জলপান লজাই খেহে কানীৰ খোলাত বহে আৰু কানী-সেৱাৰ অন্তত লেইৰোৰ জুতি লগাই খায়। অন্ত্ৰ্যপকলে ভাতৰ চাত মাৰি নাকে মুখে ধোঁৱা উলিয়াই চকু বক্ৰ কৰি ব'মৃ ব'মৃ ভোলানাথ বুলিবলৈ পালে হেনো কৈলাসত থকা যেন অনুভৱ কৰে। অন্ত্ৰ্যা-কানীয়াসকলৰ কাৰণে ভোলানাথ তেওঁলোকৰ একমাত্ৰ ত্ৰাণকৰ্ত্তা।

বলিয়া গোসাঁই-গোসাঁনী হৰ-পাৰ্ব্বতীৰ বৈবাহিক জীৱনৰ চিত্ৰ এটা অসমীয়া লোক-গীতি এটাত এইদৰে অঁকা আছে। শঙ্কৰে পাৰ্ব্বতীক বিয়া কৰাই আনি কৈলাস শৃঙ্গৰ ওপৰত জুপুৰি ঘৰ এটাত ৰাখিছিল। তেতিয়া ন-কইনা পাৰ্ব্বতীৰ এদিন কাপোৰ বাটি কাঢ়িবলৈ মন গ'ল। তেওঁ ঘৰৰ ওচৰত ক'তো সমতল ভূমি বিচাৰি নাপাই অলপ দূৰলৈ গ'ল আৰু এজোপা তেঁতেলী গছৰ তলত কাপোৰ বাটি কাঢ়িবলৈ লাগিল। সূতা লবলৈ আৰম্ভ কৰি তেওঁ দেখে যে তাঁতৰ সকলো সা-সজুলি অনা হ'ল, বাকী ৰ'ল কেৱল কুচি। কুচি নহলে কাপোৰ বাটি কাঢ়িব নোৱাৰি, কুচি আনিবলৈ পুনঃ ঘৰলৈ গলেও পগলা শঙ্কৰে তেওঁক মৰাই লেৰে, ন-কইনা হৈ লুংলুঙাই ঘূৰি ফুৰা বুলি পিঠিত হয়তো ভালকৈয়ে এজাউৰি দিব। তেওঁ তেতিয়া মনৰ মাজতে এখন নাটক ৰচনা কৰিলে। তেওঁ ভাবিলে—মই কুচি আনিবলৈ যাবেই। গলে যদি মোক আজি গঁচাইকয়ে শঙ্কৰে মাৰে তেনে-হলে মই নিশ্চয় আই-বোপাইৰ ঘৰলৈ শুচি যাম, যাব নোৱাৰিলেও অন্ততঃ যাবলৈ ওলাম; তেতিয়া তেওঁ কি কৰিব?

'তেঁতেলী-তলতে মৰোঁ তাঁতে বাটি
পাহৰি আহিলোঁ কুচি ;
কুচি আনোতে পগলাই দিলাৰ
যাবে মৰলৈ শুচি।
যাবৰ মৰলৈ মম [illegible] পাৰ্ব্বতী
বাটিক বাটে দিব এৰিব
বাটিক বাটে দিব [illegible]
মাৰিলৈ মই [illegible]।'
—[illegible] লোকক মই [illegible] দিয়া।

—তেতিয়া ৰত'হৰ লগত ওপৰলৈ উৰি যাম।

—ৰতাহৰ লগত উৰিলে হাঁকুটী জোৰা দি আকুহী লগাই ধৰিম।

—তেনেকৈ ধৰিলে কোনোমতে এৰাই গৈ বিলত পৰিম।

—বিলত পৰিলে খেৱালি জাল মাৰি ধৰিম।

—ধৰিলে শামুক হম।

—শামুক হলে জুই লগাই পুৰি চূণ কৰি তামোল-পাণৰ লগত খাম।

—চুণ পুৰি খালে মুখত ডাকিম। ছুয়োধন 'গাল তেতিয়া ওগোজা বাঘৰ মুখৰ দৰে হব।

—সেয়ে হলে তোৰ দীঘল চুলিকোঁচাৰে খহি ভাল কৰিম।

—তেনেহলে মই গৈ সৰিয়হ হম।

—সৰিয়হ হলে তেল পেৰা ৰৰশালত চেপিম।

—তেনেহলে শিমলু হম।

—শিমলু হলে ভালেই হব, শিমলু গছ কাটি নাও খুলি লৈ হেলাৰঙে চাৰিওফালে বাই ফুৰিম।

—তাকে কৰিলে পানীৰ মাজত টলং-ঘটং কৰি পানীত পেলাই দিম।'

তেনেকৈ তৰ্ক কৰি থাকি শেষত শঙ্কৰৰ কথাৰ জালৰপৰা এবাৰ সোৱাৰিলে পাৰ্ব্বতীয়ে কয়—

'অবাৰ কুমলীয়া পাত ঐ পগলা
অবাৰ কুমলীয়া পাত।
এৰাও এৰাও বুলি এবাৰ মোৱাবোঁ
তইনো পগলাৰ হাত।।'

পাৰ্ব্বতীয়ে তেনেকৈ 'কলৈ ছুৱোৱা মাজত আছোঁ সতি, যাপন হৈ গাভীৰ-গুৰুৰ মিলন ঘটিব। পতি-পত্নীৰ 'কন্দল'ৰে প্ৰকাশে 'বহ্বাৰম্ভে লঘুক্রিয়া' সেইটো পাৰ্ব্বতীৰ অবিদিত নাছিল। ঋষিসকলৰ মাজত থাকি কেতিয়াবা [illegible] আওবাবটে শাস্ত্ৰ নাছিল, বোলে—

'অজা যুদ্ধে ঋষি শ্ৰাদ্ধে, প্ৰভাতে মেঘডম্বৰে।

দম্পতী কলহে চৈব বহ্বাৰম্ভে লঘুক্রিয়া।'—বাজে, [illegible] [illegible] [illegible] [illegible] [illegible]

‘বহ্বাৰম্ভে লঘুক্ৰিয়া’ বোলা কথা আমাৰ আজিও শ্লোকৰ স্মৃতিবাহক হিচাপে মানুহৰ মুখে মুখে বৈ আছে। হৰ-পাৰ্ব্বতীৰ আৰু হৰ-পাৰ্ব্বতীৰ, কিয়, সকলো সত্যবিবাহিত দম্পতীৰে মতভেদ বা কন্দল ‘বহ্বাৰম্ভে লঘুক্ৰিয়া’। কথিত আছে যে বিয়াৰ পাছত এদিন হৰ-পাৰ্ব্বতীৰো কাজিয়া লাগিছিল। পাৰ্ব্বতীয়ে ওফোন্দ পাতি থকাত মহাদেৱে তেওঁক তুষ্ট কৰিবৰ কাৰণে গাজা খাই উঠি নৃত্য আৰম্ভ কৰিছিল। নৃত্যও আছিল নৃত্যৰ ভিতৰতে শ্ৰেষ্ঠ নৃত্য বা ৰজা-নৃত্য। ভঙুৱা নটুৱাসকলে আজিকালিও সেইবাবে কয় যে চাৰি চিলিম ভাং একেবাহে খোৱাৰ পিছত গা স্থিৰে থাকিব নোৱাৰে, সি এনেয়ে নাচোন তোলে। তেতিয়া যি নৃত্য নচা যায় সি সাধাৰণ নৃত্য হব নোৱাৰে, সেয়ে আছিল হেনো সদাশিৱৰ তাণ্ডৱ নৃত্য। তেওঁলোকে কয়—

‘এক চিলিমে যেমন তেমন
দুই চিলিমে প্ৰজা :
তিনি চিলিমে পাত্ৰমন্ত্ৰী
চাৰি চিলিমে ৰজা !

যি কি হওক, সদাশিৱৰ নৃত্য ইমান ভয়ঙ্কৰ অথচ আকৰ্ষণীয় হৈছিল যে পাৰ্ব্বতীয়ে চাই থাকিব নোৱাৰি মহাদেৱৰ লগতে পাভকৰ লয়লাসেৰে নাচিবলৈ আৰম্ভ কৰিছিল। মহাদেৱৰ সেই ভয়ঙ্কৰ নাচৰ নামেই তাণ্ডৱ নৃত্য আৰু পাৰ্ব্বতীৰ নাচৰ নামেই লাস্য। লাস্যইহে তাণ্ডৱৰ সাম্য আনে।

অন্য এটা প্ৰবাদ মতে এদিন মহাদেৱে যোগী মুনিসকলৰ গৰ্ব্ব খৰ্ব্ব কৰিবৰ বাবে যোগীবেশে তেওঁলোকৰ ওচৰলৈ গৈ ধৰ্ম্ম বিষয়ৰ তৰ্ক যুদ্ধ আৰম্ভ কৰিলে। তৰ্কত তেওঁ ঋষিসকলক পৰাস্ত কৰি লাজত পেলালে। তাতে ক্ৰোধান্বিত হৈ ঋষিসকলে যজ্ঞৰ কুণ্ডৰ পৰা এটা প্ৰকাণ্ড বাঘ সৃষ্টি কৰিলে। সেই বাঘে মহাদেৱক খাবলৈ খেদি আহে। মহাদেৱে নৃত্য-ভঙ্গীৰে গৈ বাঘক ধৰি মাৰি পেলালে আৰু [illegible] তাৰ ছালখন বগলিয়াই লৈ নিজৰ গাত পিন্ধিলে। তাৰ পিছত ঋষিসকলে [illegible] সৃষ্টি কৰিলে। মহাদেৱে সেই [illegible] নাচিবলৈ ধৰিলে। [illegible]

শিৱৰ এনে অদ্ভুত নৃত্য দেখি বেৰি ধৰি ভেঙুক চাবলৈ ধৰিলে। এই নৃত্যৰ নামেই তাণ্ডৱ নৃত্য আৰু ইয়াতে হেনো সৃষ্টি, স্থিতি আৰু প্ৰলয়ৰ ৰহস্য নিহিত আছে। এইহেন মহাদেৱেও ভক্তৰ কল্পনাত ডমৰু বজাই ভিক্ষা কৰি ফুৰিছিল। আজিও লোকগীতত অসমৰ গঞা সমাজে তাৰ বৰ্ণনা শুনি তৰধ মানে। তেনে দুটা লোকগীতি, যেনে—

১। 'দিহা—অ' হে শঙ্কৰ জাগ দিগম্বৰ ৰায়—

হে শঙ্কৰ জাগ দিগম্বৰ ৰায়!
ৰত্ন-সিংহাসনে শঙ্কৰ শুতি আছে
বিহানে গৌৰী জগায়—
হে শঙ্কৰ জাগ দিগম্বৰ ৰায়।

পদ— কাৰ্ত্তিক গণপতি তোমাৰ দুই পুত্ৰ
ভোকে মৰি দুখ পায়।
জগতৰ গুৰু তোমাকেলে বোলে
ঘৰে চাউল এমুঠি নাই॥
ফিউই দিলা জ্বালি উঠা মুণ্ডমালী
ৰজনী প্ৰভাত হৈলা।
বনৰ হৰিণী বনত লুকালে
পক্ষী দশো দিশে গৈলা॥
পাৰ্ব্বতীৰ বাণী শুনি শূলপাণি
শয্যাত উঠি বসিলা।
আজি কৈক যাইবো কৈত ভিক্ষা পাইবো
মনত গুণিবে লৈলা॥
ভাং ধুঁতুৰা আনাহে পাৰ্ব্বতী
তাৰে কিছুমান খাও।
নন্দী-ভৃঙ্গী লগে বুঢ়াৰত চৰি
ভিক্ষা মাগিবলৈ যাও॥
হাতে লৈলা [illegible] ত্ৰিশূল-ডমৰু
[illegible]।
[illegible] লৈলা ঝুলি [illegible]
[illegible]॥
[illegible]
[illegible]

আঠোটা ঐশ্বৰ্য্য ফুৰে পাছে পাছে
তথাপি ভিক্ষা কৰয় ॥
কৈলাস শিখৰে শঙ্কৰ শুচি আছে
সমস্তকে প্ৰৱৰ্ত্তাই।
জগতৰ গুৰু বজাৱে ডমৰু
এই গীত মাধৱে গায় ॥

২। দিহা— অ' কি নন্দী হে—
অ' কি নন্দী হে—
নাথাকো মই এমন কৈলাসে—।
পদ—নিদ্ৰাৰ জাগিয়া হৰ উঠিলন্ত খৰতৰ
পাৰ্ব্বতীক বুলিলন্ত বাক।
শুনা হেমৱন্ত বেটী পাগ কৰা শীঘ্ৰগতি
আমি যাইবো ভিক্ষা মাগিবাক ॥
শঙ্কৰৰ বাণী শুনি পাৰ্ব্বতী মাতিলা গুণি
শুনা প্ৰভু গজানন-পিতা।
ঘৰে চাউল মুঠি নাই কিমতে ৰান্ধিম যাই
মোৰ মনে লাগিয়াছে চিন্তা ॥
পাৰ্ব্বতীৰ বাণী শুনি ক্ৰোধিলন্ত শূলপাণি
নাথাকোঁ মই এনুৱা গৃহত।
নাৰী যাৰ স্বতন্তৰা ধিক তাৰ গৃহ কৰা
আউলাপচু তাহাৰ যুবত ॥
এতেক বুলিয়া হৰ উঠিয়া বৃষভোপৰ
যায় শিৱ নন্দী সঙ্গে লই।
তাধা-ধিতা তাধিতা বজাৱে শঙ্কৰে শিঙা
ভিক্ষা মাগে ডম্বুৰু বজাই ॥
কহে ৰামানন্দে বাণী হে প্ৰভু শূলপাণি
পূৰ্ণ কৰা মনৰ বাসনা।
তুমু পদ অৰবিন্দে থাকো যেন [illegible]
তাৰ বিনে [illegible] আন ॥

এইদৰে, [illegible] [illegible] নিৰ্বাচিত [illegible] [illegible] [illegible]
[illegible] লোকদেৱতা ভাওঁনাৰো [illegible] [illegible] [illegible]।

কৃষক শিৱ ভোলানাথ

মানুহৰ কল্পনাত দেৱতাৰ সৃষ্টি। সেই হেতুকে দেৱতাও মানুহৰ দৰে অসংখ্য। তাৰেই এটা সীমা দেখুৱাবলৈ তেত্ৰিশ কোটি দেৱতাৰ নাম লোৱা হয়। মানুহৰ দৰেই তেৰাসকলৰো প্ৰকৃতি বিচিত্ৰ আৰু গতিবিধি কাৰ্য্যাদিও হবেক ৰকমৰ। বিশেষকৈ শিৱ গোসাঁইৰ কাৰ্য্য আৰু প্ৰকৃতি অতিশয় বৈচিত্ৰ্যপূৰ্ণ আৰু ৰহস্যজনক। নৃত্য-গীত, ৰণবিগ্ৰহ আদি কৰাৰ উপৰিও তেওঁ অইন দেৱ-দেৱীয়ে নকৰা অন্ততঃ এটা কাম কৰিছিল। সেয়ে হৈছে কৃষিকৰ্ম্ম। কৃষিত তেওঁ কিয় আৰু কেনেকৈ নামিবলৈ পালে তাৰো ইতিহাস নোহোৱা নহয়।

ভক্তৰ অধীন ভগৱান। ভক্তই তেওঁক যিদৰে পাবলৈ বিচাৰে তেওঁ সেইদৰেই তেওঁক ধৰা দিয়ে, লাগিলে বৈৰীভাৱেও ধৰা দিবলৈ তেওঁ হেলা নকৰে।

> 'বৈৰীভাৱে চিন্তিবাহা মোক।
> শীঘ্ৰকালে পাইবা এহি লোক॥' (কীৰ্ত্তন)

অসমৰ ভক্ত কৃষকসকলে ভগৱান শংকৰক আহ্বান কৰা বাবেই হওক নাইবা তেওঁৰ নিজৰ প্ৰয়োজনৰ বাবেই হওক, মহাদেৱে অসমত কৃষকৰূপে অৱতীৰ্ণ হৈ অসমীয়া কৃষকৰ মনোৰথ পূৰ্ণ কৰিছিল। নিজৰ খুচিতে জন্ম লৈ যি স্বয়ম্ভু নামে পৰিচিত হব পাৰিছিল তেওঁৰ কাৰণে যেতিয়াই অসমত কৃষক হৈ উপস্থিত কৃষকসকলৰ আদৰ্শ আৰু পূজ্য দেৱতা হোৱাটোও একো আচৰিত কথা নহয়। ঘটনাচক্ৰয়ো হয়তো তেওঁক তাকে কৰিবলৈ বাধ্য কৰিছিল।

[illegible] মহাদেৱেও খোজাখড়া কৰি দেৱতা [illegible] পাৰ্বতীক লৈ [illegible] আনিলে। [illegible]
[illegible]
[illegible] পাইছিল। [illegible]
[illegible] গোত্ৰ। নিজৰ খেতি-বাতি নাই। [illegible]

বৃষভটো ৰাখিবৰ কাৰণে তেতিয়া ভীমক ৰখা হ'ল গৰখীয়া। সিও এটা বেলেগ পৰ্ব্ব। সি যিহওক, ভীমকো গৰখীয়া ৰখাৰ পিছত পৰিয়ালৰ সংখ্যা বঢ়াত ঘৰখনত খোৱা মুঠিৰ কাৰণেই খুটখাটুকৈ কাজিয়া-পেছাল হৈ থাকিবলৈ ধৰিলে। তাকে দেখি এদিন পাৰ্ব্বতীয়ে গিৰিয়েক মহাদেৱক ভিক্ষা বৃত্তি এৰি কৃষিত লাগিবলৈ উপদেশ দিলে। ন গৃহিণীৰ কথা পেলাব নোৱাৰি মহাদেৱেও পোনেই খেতি কৰিবলৈ ওলাল, কিন্তু খেতিৰ সজুলিবোৰ এতিয়া পায় ক'ত? প্ৰথম কথা, অভুৱা ভোলানাথে কোনো দিন হালৰ মুঠিত ধৰি পোৱা নাই; দ্বিতীয়তে নাঙল-যুঁৱলি, গৰু, বিধান আদি তেওঁ ক'ত পায় নাজানে। পাৰ্ব্বতীয়ে গিৰিয়েকৰ সমস্যা বুজিব পাৰি তেওঁক কলে—'চিন্তা কৰিব নালাগে। যত্নৰ অসাধ্য একো নাই আৰু ইচ্ছা হলেই উপায়ো ওলায়। স্বৰ্গৰ ৰজা বাসৱক খুজিলেই মাটি দিব; কুবেৰৰ পৰা লোৱা কঠীয়া, বলভদ্ৰ গোসাঁইৰপৰা নাঙলখন খুজি আনা, তোমাৰ হাতত থকা ত্ৰিশূলডালৰ আগডোখৰেই ফাল হব—এতিয়া লাগে কেৱল গৰুহাল! তাৰ কাৰণেও ভয় নাই, যমৰপৰা তেওঁৰ ম'হটো ধাৰে আনি তোমাৰ বাহন বৃষভৰ লগত সাঙুৰিলেই লেঠা মৰিব। আৰু নো কিটো লাগে?' সদাশিৱে পাৰ্ব্বতীৰ কথাখিনি বৰ যুক্তিসঙ্গত যেন পালে।

অসমীয়া গীত-মাত, কাব্য আৰু জনবিশ্বাসত বিয়পি থকা এই কথাখিনি মৈথিলী কবি বিদ্যাপতিৰ এটা গীততো পোৱা যায়। তাত পাৰ্ব্বতীয়ে কৈছে—'হে শিৱ, বাৰে বাৰে তোমাক মই কব আহিছোঁ তুমি কৃষি কৰা। তথাপি হে হৰ, তুমি নিলাজ হৈ ভিক্ষা মাগিহে ফুৰা—তাত আমাৰ মান-গৌৰব নকলো যায়। দুখীয়া বুলি আমাক সকলোৱে উপহাস কৰে, [illegible] বা অনুকম্পা প্ৰকাশ নকৰে। হে শিৱ, তুমি [illegible] ফুল পালে হৰিচন্দা ফুল পোৱাৰ দৰে [illegible]। হে [illegible] তুমি [illegible] কাটি নাঙল সাজি লোৱা, ত্ৰিশূল ভাঙি ফাল [illegible]। [illegible] [illegible] আনি [illegible] দিয়া, তোমাৰ [illegible] [illegible] পাৰ্ব্বতী [illegible] দিয়া। বিদ্যাপতিয়ে [illegible] [illegible] মই [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible]

[illegible]

বিনু সমৰে হৰ ভিখিএ পত্ৰ মাগিয়
গুণ গৌৰৱ দূৰ জাই।।
নিৰধন জন বোলি সবে উপহাসয়ে
নাহি আদৰ অনুকম্পা।
তোহে শিৱ পাওল আক ধুথুৰ ফুল
হৰি পাওল ফুলচম্পা।।
খটগ কাটি হবে হৰ যে বঁধাওল
ত্ৰিশূল ভাঁগয় কৰু ফাৰে।
বসহা ধৰন্ধৰ হৰ লএ জোতিঅ
পাএট সুৰ সৰিধাৰে।।
ভণই বিদ্যাপতি সুনহ মহেশ্বৰ
ইজানি কইলি তুঅ সেবা।
এতএ জেবক সে বৰ হোঅও
ওতএ সৰণ দেবা।।

(বিদ্যাপতি ঠাকুৰৰ পদাৱলী)

এইদৰে মহাদেউ পাৰ্ব্বতী কন্দিব লাগিল। মহাদেৱৰ এই কন্দি পৰ্ব্বৰ লগত বিয়াৰ দৰা-কইনাক শুনোৱা খোবা-খুবুনী বা খোবা-খুবীৰ উপাখ্যান আহি পৰে। অসমীয়া সমাজত, বিশেষকৈ মধ্য আৰু উজনি অসমত বিয়াৰ তৃতীয় দিনা আবেলি দৰা-কন্যাক লক্ষ্মৰমতে বহুৱাই লৈ খোবা-খুবীৰ আখ্যান গাই শুনোৱা নিয়ম। তাকে কৰিলে হেনো দৰা-কন্যাৰ মাজত কলহ-খিয়াল নহয়। বিয়াত কাৰলে লগায় বুলি মাৰকক জয় কৰাৰ দৰে কিন্তু পাছত দৰা-কইনাৰ মাজত কন্দল লগায় বুলি খোবা-খুবীক এক ধৰা [illegible] লাড়ুৰে পূজা দিয়া হয়। নামনি অসম আৰু [illegible] [illegible] এই প্ৰথা নাই।

[illegible] হওঁক, মহাদেৱৰ লৈ পাৰ্ব্বতীৰ [illegible] [illegible] [illegible] [illegible] [illegible] কৰিছিল। [illegible] [illegible] [illegible] আছিল। [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] পাৰ্ব্বতীক [illegible] [illegible]।

ইফালে অকলে অকলে ঘৰত বহি থাকি কিছু দিনৰ মূৰত পাৰ্ব্বতীয়ো বৰ আমনি লাগিল। শঙ্কৰ গোসাঁইক ঘৰলৈ নহা দেখি তেওঁৰ মনলৈ নানা প্ৰকাৰৰ দুশ্চিন্তা আহিল। বিশেষকৈ শঙ্কৰৰ লুতুৰা স্বভাৱটি তেওঁৰ ভালকৈ জনা আছে। তেওঁ তেতিয়া পৰীক্ষা চাবৰ কাৰণে গোনতে মহ-ডাঁহ আদি পকৰা-পতঙ্গ কিছুমানক শঙ্কৰৰ ওচৰলৈ পঠিয়ালে। মহাদেৱে তেতিয়া ন-ন ভূমি চহাই পথাৰত একান্তমনে হাল বাই আছিল। সেই সময়তে মহ-ডাঁহ-সঙ্গিনীপোক-চেৰেপা আদিবোৰে দৈ পাৰ্ব্বতী গোসানীয়ে শিকাই পঠোৱামতে মহাদেৱক আগুৰি ধৰি হাতে-ভৰিয়ে-মুখে-গাই কামুৰি-বলৈ ধৰিলে। মহাদেৱে উপায় নাপাই তেতিয়া জাবৰ-জোঁহৰেৰে জুমুৰি সাজি লৈ তাৰ জুই আৰু ধোঁৱাৰে পথাৰখন তেনেই ধুঁৱলি-কুঁৱলী কৰি পেলালে। মহ-ডাঁহবোৰে তেনে ধোঁৱা সহিব নোৱাৰি পলাই পত্যং দিবলৈ বাধ্য হ'ল। সেইবোৰে উভতি আহি আই পাৰ্ব্বতীৰ আগত সকলো কথা বিবৰি কলে আৰু ক্ষমা খুজিলে। পাৰ্ব্বতীয়ে এইবাৰ এটা প্ৰকাণ্ড বাঘ পঠালে। তেওঁ ভাবিছিল বাঘৰ ভয়ত সদাশিৱৰ গৰু লৰি পলাব আৰু সদাশিৱে নিজেও ভয় খাই ঘৰলৈ উভতিব। বস্তুতঃ সেইটো হৰও ধৰি-ছিল। হাউলি মাৰি খেদি অহা ভয়ঙ্কৰ বাঘ দেখি মহাদেৱৰ বলধ চকুৱাই পলাবই ধৰিছিল। মহাদেৱে যেনিবা হাতেৰে ধৰি কোনোমতে তাক চম্ভা-লিলে। ক্ষুদ্ৰ বাঘ এটাৰ এনে সাহস দেখি শঙ্কৰৰ ভীষণ খং উঠিল আৰু ক্ৰোধত ত্ৰিশূল লৈ বাঘক বধ কৰিবলৈ খেদি গ'ল। প্ৰাণৰ ভয়ত বাঘ লৰি গৈ ভাঠ হাঁবিত সোমাল আৰু কোনোমতে শঙ্কৰৰ হাতৰপৰা ৰক্ষা পৰিল।

এনেকৈও কৃতকাৰ্য্য হব নোৱাৰি ইবাৰ পাৰ্ব্বতী নিজে গ'ল। পথাৰ পাই ৰভাহত হাহি-আদি ৰক্ষা লহপহীয়া শস্য দেখি পাৰ্ব্বতী বিস্ময়ত বিমূঢ় হ'ল। তেওঁ আঃ ইঃ কৰি শস্যবোৰ চাই ফুৰিবলৈ ধৰিলে। পাৰ্ব্বতীৰ মুখৰপৰা ওলোৱা আঃ ইঃ শব্দপৰাই এযুৰা ভয়ঙ্কৰ জুই [illegible] নিজে শস্যবোৰ [illegible] তেনেই [illegible] [illegible] [illegible] [illegible] ভূতবৰ [illegible] [illegible] [illegible] [illegible] আচৰিত হ'ল [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible]

দেখি ভূই থমকিল আৰু তাৰপৰা এহাল মতা-মাইকী দৈত্য ওলাল। সিহঁতে মূৰ্ত্তিমান যমৰদৰে থিয় হৈ থকা হৰৰ পাৰত দীঘল হৈ পৰি কৰলৈ ধৰিলে—'প্ৰভু, আমাক আপুনি প্ৰাণে নামাৰিব। আমি আই পাৰ্ব্বতীৰ সন্তান, গতিকে আপোনাৰো সন্ততি। আমাক নামাৰি থাকিবলৈ এডোখৰ ঠাই দিয়ক।' তাতে আশুতোষ হৰৰ দয়া উপজিল। তেওঁ ত্ৰিশূল সম্বৰণ কৰি কলে—'শুনা দৈত্যযুগল, তহঁতৰ জন্ম-বৃত্তান্ত মই জানিছোঁ। তহঁতৰ নাম হব খোবা-খুবী। আজিৰপৰা বিন্ধ্য পৰ্ব্বত হব তহঁতৰ আবাস-ভূমি। ঘাহ-বন খাই তহঁত তাত জীয়াই থাকিবি। অৱতাৰী পুৰুষ শ্ৰীৰামচন্দ্ৰৰ ধৰাত আবিৰ্ভাৱ নোহোৱালৈকে তহঁত বিন্ধ্য পৰ্ব্বতত থাকিব লাগিব। তাৰ পাছত তেওঁৰ লগত সাক্ষাৎ হলে তেওঁ তহঁতক থাকিবলৈ স্থান নিৰ্দ্দেশ কৰি দিব।' ইয়াকে কৈ মহাদেৱে ইথন হাতত থকা কমণ্ডলুটোৰ পানী ছটিয়াই মৰা শম্ভুবোৰ জীয়াই তুলিলে আৰু লাহে লাহে কৈলাসলৈ গতি কৰিলে।

দৈত্যহাল এইদৰে বিন্ধ্য পৰ্ব্বতত থাকিবলৈ ললে। বহুত যুগ এইদৰে পাৰ হ'ল। সীতা-হৰণৰ সময়ত সাগৰত সেতু বান্ধিবৰ কাৰণে পৱন-নন্দন হনুমন্তই পৰ্ব্বত পাহাৰ তুলি আনোতে দৈৱাৎ বিন্ধ্য পৰ্ব্বতৰ এই অংশটোও তুলি আনি ৰামচন্দ্ৰৰ সন্মুখত ৰাখিছিলহি। তাতে সেই দৈত্যহাল ওলাই আহি প্ৰভু ৰামচন্দ্ৰক সেৱা জনালে আৰু কলে—'আমি মহাদেৱৰ পাৰ্ব্বতীৰ সন্তান, নাম খোবাখুবী। আমি ইমান দিন শিৱৰ আদেশত বিন্ধ্য পৰ্ব্বতত বাস কৰিছিলোঁ। এতেদিন ফল-মূল আৰু তৃণ-লতাবিলাক আছিল আমাৰ একমাত্ৰ খাদ্য। এতিয়া ক্ৰমে ক্ৰমে সেইবোৰো দুৰ্লভ হৈ আহিছে। গাতিকে অজাতত আমাৰ এতিয়া হাড়-ছাল মাত্ৰ আছোঁগৈ। মহাদেৱে কৈছিল আমাক কৈছিল যে তুমিয়েই আমাৰ বাসস্থান নিৰ্দ্দেশ কৰিবা। এতিয়া তোমাৰ আশ্ৰয় লৈছোঁ। তুমি আমাক থাকিবলৈ এডুখৰি ঠাই দিয়া।' শুনি ৰামচন্দ্ৰই কলে—'হে দৈত্যযুগল, শুনা—তোমালোকক যুগ্মবাৰ ধৰ [illegible] আদিৰ ঘৰ। [illegible] দিব। তাতে তোমালোকে বৈ বিচাৰি [illegible] তুমি বলা। [illegible] তৃতীয় দিনা তোমালোকক [illegible] [illegible] জলপান দিব। তাতে মই তোমালোকক [illegible] থাকিবা। দিনে এই জলপান দিবিলে নিজৰ ঘৰত তোমালোকে আৰু-

ৰ্ফিতে সোমাই ছুয়োৱে। মাজত মোৰ কন্দল লগাই থাকিবা।' এয়ে হ'ল খোবা-খুবুনী বা খোবা-খুবীৰ মূল আখ্যান।

খোবা-খুবীৰ আখ্যানেও মহাদেৱ-পাৰ্ব্বতীৰ কৃষিকাৰ্য্যৰ ইতিহাসলৈয়ে অঙুলিয়ায়। উজনি অসমত থকাৰ দৰে নামনিত কিন্তু খোবা-খুবীৰ কথা বিয়াৰ লগত জড়িত হৈ থকা নাই। নামনিত খোবা-খুবীৰ উল্লেখ মন্ত্ৰতহে পোৱা যায়। শস্যত মুখ লাগিলে মুখভঙা মন্ত্ৰেৰে পানী জাৰি দিয়া হয়। সেই মন্ত্ৰত খোবা-খুবিয়ে তাহানি মহাদেৱৰ শস্যৰ প্ৰতি কৰা অনিষ্টৰ কথা উল্লেখ কৰা আছে। বস্তুতঃ উজনি অসমৰ বিয়াৰ খোবা-খুবী নামনি অসমৰ মুখ-ভঙা মন্ত্ৰৰ খোবা-খুবীৰে সৈতে একে। অলপ গমি চালে এনে অনুমান হয় যেন দুয়োটা কাৰ্য্যৰে মূল উদ্দেশ্যও একেই, মানুহৰ বাক্য বা দৃষ্টিজাত অনিষ্টৰপৰা পৰিত্ৰাণ লাভ। বিয়াৰ দৰা-কইনাৰ ওপৰত জনসাধাৰণৰ নজৰ পৰে আৰু সেইবাবে খোবা-খুবীৰ অনুষ্ঠানৰ সহায়ত সেই নজৰ তোলা হয়। ইও প্ৰকৃততে তন্ত্ৰ-মন্ত্ৰৰে এটি অঙ্গ স্বৰূপ।

কথিত আছে যে খোবা-খুবীৰ মুখৰ জুই মহাদেৱৰ শস্যৰ পথাৰত এদিন দুদিন নহয়, একেবাৰে সাত দিন লাগিছিল আৰু সেই জুই নুমাবৰ কাৰণে মহাবলী ভীমেও পানী কঢ়িয়াই হাইৰাণ হৈছিল। ভীমেও যেতিয়া জুই নুমাব নোৱাৰিলে তেতিয়া—

'কমণ্ডলুৰ জলে জুই নুমাইলা মুণ্ডমালী।
সিকাৰণে কিছু আহু কিছু তৈলা শালি॥'

(ভীম চৰিত)

আহু আৰু শালিধানৰ উৎপত্তিও এইদৰেই হ'ল বুলি কোৱা হয়।

হৰ-পাৰ্ব্বতীৰ কৃষি সম্পৰ্কীয় কাহিনী নামনি অসমৰ মুখভঙা মন্ত্ৰত এই-দৰে পোৱা যায়—

'কোলে গণেশৰ আই মনে তোমাৰ লজ্জা নাই
সদায় মুৰা ভাং টানি টানি।
গৃহে চাউল মুঠি নাই কান্দে কাৰ্ত্তিক-গণ-আই
সদায় খোৱা ভিক্ষা মাগি আনি॥
তুমি জগতৰ মূল আঁঠে খাথো ত্ৰিপুৰ
সদায় খোৱা মাগে ভিক্ষাৰ বুলি।

সৰে নৰ নাৰী হাসে শুনি প্ৰাণে নসহে
ভণ্ডুৱা ভিক্ষাৰী আহিল বুলি॥
আৰে মোৰ বাক্য ধৰা একবাৰ খেতি কৰা
যুক্তি কৰি নাঙল বিধান লক।
মনে তুমি ভাবি চোৱা কোন আছে খুজি খোৱা
কোন থাকে সদায় হৈ সক॥
বোলন্ত পাৰ্ব্বতী শুনা শূলপাণি
মোৰ বাক্য মনে ধৰা।
খুজি মাগি আনি দেৱ শূলপাণি
খেতিৰ আৰম্ভ কৰা॥
ইন্দ্ৰত খুজিয়া মাটি কিছু লোৱা
বলোৰ আনা নাঙল।
কুবেৰত খুজিয়া আনাগৈ কঠীয়া
বৰুণে দিবেক জল॥
যমত খুজিয়া মহিষটো আনাগৈ
ত্ৰিশূলক কৰিও ফাল।
তোমাৰ বলধ মহিষ সহিতে
যুৰিয়া বাইবা হাল॥
কাৰ্ত্তিকা সাগৰ জোঁট লক কৰা
গোমৰ মাৰিও সাল।
চৈতৰ মাহত মাটি চহাই লোৱা
তেৱে খেতি হব ভাল॥
সোণৰ নাঙল ৰূপৰ ফাল।
ত্ৰিশূলী গোঁসাই যুৰিলা হাল॥
হাল বাওঁতে উঠিল মাটি।
তেওঁ আঁৰত লুকাইলা জাটি॥
গোঁসাই ধনুৰীয়ে কৰে উপহাস।
কই শালি ধানক কৰ খেতি [illegible] হাঁহ॥
ত্ৰিশূলী গোঁসাই [illegible] কৰিলা।

মুখৰ অগনি মুখে জুমাইলা ॥
হুং হুঙ্কাৰ।
মুখৰ অগনি পলাই যা লঙ্কাৰ পাৰ ॥
যদি নপলাস।
শঙ্কৰ মহাদেৱৰ মাঠা খাস ॥ * ॥

বেজ-ওজাৰ এই মন্ত্ৰৰ লগত খোবা-খুবীৰ আখ্যান হুবহু মিলি যায়।

বৈদিক যুগৰপৰাই ৰুদ্ৰ-শিৱ কৃষিৰো দেৱতা। বেদ-উপনিষদৰ যুগত ৰুদ্ৰ আছিল বৃষ্টিৰো অধিপতি। তাৰ উপৰি শিৱত থকা চন্দ্ৰ আৰু গঙ্গা আৰু হাতত থকা ত্ৰিশূলেও তেওঁক কৃষিৰ লগত সংশ্লিষ্ট ৰাখিছিল। এসময়ত তেওঁৰ বাহনো আছিল মূষিক বা ইন্দুৰ। ক্ষেত্ৰপতি, বনস্পতি, পুষ্পপতি, পশুপতি আদি উপাধিবোৰো তেওঁৰেই। এই সকলোবোৰে শস্য আৰু শস্য-ক্ষেত্ৰৰ উৰ্ব্বৰতালৈ আঙুলিয়ায়। এইবোৰো তেওঁৰ শস্যৰ লগত থকা সম্বন্ধৰে পৰিচায়ক। অন্য ফালেদি পাৰ্ব্বতী-দুৰ্গা গোসাঁনীৰ পূজাও আৰম্ভ হয় পথাৰত শস্য ভৰি থকা সময়ত। নৱপত্ৰিকাত প্ৰাণ সঞ্চাৰ কৰাৰ পিছতহে তেওঁৰো পূজা আৰম্ভ হয়। তেওঁৰ শাকম্ভৰী, আম্বৰী আদি বিশেষণবোৰো কৃষিৰ লগত থকা সম্বন্ধৰে পৰিচায়ক। দুৰ্গাপূজাৰ নৱপত্ৰিকা হ'ল—

'কদলী, দাড়িম্বী ধান্যঃ হৰিদ্ৰা মানকং কচুঃ।
বিল্বাশোক জয়ন্ত্যশ্চ ইত্যেতে নৱপত্ৰিকা।'

অৰ্থাৎ কল, ডালিম, ধান, হালধি, কচু, মানকচু, বেল, অশোক আৰু জয়ন্তী ফুল এই নৱবিধ শস্যৰেই পূজা আৰম্ভ হয়। শিৱয়ে আকৌ বৰ্ষা আৰু উৰ্ব্বৰতাৰ আকৰ চন্দ্ৰশেখৰ সোমনাথ হোৱা বাবে আৰু দুৰ্গা-পাৰ্ব্বতীও নৱ-পত্ৰিকাপূজিতা শাকম্ভৰী হোৱা হেতুকে দুয়ো কৃষিৰ লগত ভালদৰে সাঙোৰ খাই আছে।

পথাৰত গোকে শস্য নষ্ট কৰিলেও গোক খেদিবৰ কাৰণে, [illegible] নৈবেদ্য দি শিৱ গোসাঁইৰ নামত চাকি-বন্তি জ্বলোৱা হয়, শঙ্খ, ঘণ্টা-ছোৱালীৰ [illegible] মাত, সোণাৰু লতুৱা, আৰু ফুল আদি [illegible] (ভাদুৰী) গোসাঁইৰ নামত [illegible] খৰিৰ লাড়ু বিলাই দিয়া হয়, আনকি [illegible] খোজ পূজা কৰাৰ [illegible],

থোৱা কল মহাদেৱ গোসাঁইৰ নমত আগ বঢ়াইহে খোৱাৰ ব্যৱস্থা সমাজত চলি আছে। এই সকলোবোৰে তেওঁক অবিসম্বাদী শস্য-দেৱতাৰ স্থান দিয়ে।

শস্য দেৱতা হিচাপে শিৱ পালনকৰ্ত্তাও হৈ পৰে। তেওঁ যে সৃষ্টি-পালনতো মন-কাণ দিছিল সেই বিষয়ে মানুহৰ মাজত অনেক আখ্যানৰ চলন্তি আছে। বস্তুতঃ তেনে আখ্যানেৰে সমগ্ৰ ভাৰতবৰ্ষ উপচি আছে। পশ্চিমৰ এটা শিশু-নিচুকোৱা গীত ইমান মনোৰম যে ইংৰাজ কবি ৰাডিয়াৰ্ড কিপ্লিঙে তাক ইংৰাজী ভাষালৈ অনুবাদ কৰাৰ লোভ সামৰিব নোৱাৰিছিল। তাতো এটা সৰু আখ্যান সোমাই আছে। তাৰ সাৰাংশ এই—

মাকে কেঁচুৱাটোক সম্বোধন কৰি কলে—'বুজিছা পোনাটি, এদিন মহাদেৱে ঘৰৰ দুৱাৰডলিত বহি জগতৰ জীৱবোৰক যাৰ যি ভাগ পাব লাগে—সুখ, দুখ, আৰাম, শ্ৰম আৰু আহাৰ—দিব লাগিছে। আই পাৰ্ব্বতীয়ে ওচৰতে বহি চাই আছে। যাৰ যি যোগ্য—ধনীক ষোড়শোপচাৰ, দুখীয়াক চাউল মুঠা, সাধু-সন্ন্যাসীক ভিক্ষা, শ্বাপদক জীৱ আহাৰ, কাউৰী-শগুণক শ, শিয়াল-কুকুৰক অস্থিখণ্ড, ছাল ইত্যাদি, আৰু মোৰ পোনাটিৰ কাৰণেও মাকৰ কোমল বুকুখন দিছে। তেওঁৰ চকুত কোনো উত্তম, কোনো নিকৃষ্ট নহয়, সকলো সমান। পিছে তেনেকৈ দি থাকোঁতে পাৰ্ব্বতীৰ মনত এটা দুষ্ট বুদ্ধি খেলালে: তেওঁ টিপতে এটা সৰু ফৰিং নি নিজৰ বুকুৰ মাজত লুকাই থলে। পিছত শিৱৰ জগতক আহাৰ বিলোৱা শেষ হ'লত পাৰ্ব্বতীয়ে সুধিলে—"প্ৰভু, সকলোকে আহাৰ বিলোৱা হ'ল নে?" মহাদেৱে মিচিকিয়াই উত্তৰ দিলে "এৰা হ'ল, আনকি তোমাৰ বুকুৰ মাজত লুকাই থোৱা জীৱ-কণিকাটিয়েও তাৰ ভাগ পাইছে।" পাৰ্ব্বতীয়ে লৰালৰিকৈ বুকুৰ মাজৰপৰা ফৰিংটি উলিয়াই চাই দেখে যে সিও এটা কুমলীয়া গছৰ পাত খুটি খাব লাগিছে। পাৰ্ব্বতী বিস্ময় আৰু শঙ্কান্বিত হ'ল আৰু শিৱক স্তুতি কৰিবলৈ ধৰিলে। শুনিছা, পোনাটি, এইদৰে শিৱ মহাদেৱে জগৎখন পালি আছে। তোমাকো পালি আছে। তোমালৈ মাতৃৰ কোমল বুকুখনিও থৈছে দেখিছে।'

কবি কিপ্লিঙে নিচুকনিটো আগতে ইংৰাজীতো সেইৰ আকাৰে দিছে। "মহাদেৱ" আৰু "কবিতাৰ" [illegible] আৰু এটা সৰু [illegible]

[illegible] চলি আছে। [illegible]

[illegible]

আকাশেদি গৈ আছিল। পাৰ্ব্বতীয়ে হৰক কলে—'প্ৰভো, সংসাৰত কিছু-মান লোকে বিনাকষ্টে মহাসুখত খায়। কিছুমানে আকৌ দিনৰ দিনটো কপালৰ ঘাম মাটিত পেলায়ো ছুবেলা মুঠি খাবলৈ নাপায়। ই কেনে নীতি?' শিৱই কলে—'বস্তুৰ লগতে ভাগ্যও লাগে, পাৰ্ব্বতী'। পাৰ্ব্বতীৰ খং উঠিল। এনেতে তলত বাটেদি গৈ থকা ভিক্ষাৰী এটা তেওঁৰ চকুত পৰিল। তেওঁ শিৱক কলে—'সেইবোৰ মিছা কথা। তুমি ইচ্ছা কৰিলে সকলোকে সুখ আৰু ঐশ্বৰ্য্য দিব পাৰা। বাৰু সৌ ভিক্ষাৰীটোকে তুমি এটা টকাৰ টোপোলা দিয়াচোন, সি ধনী হয় নে নহয় মই চাওঁ।'

সদাশিৱে কলে—'তাৰ কপালত একো নাই। তথাপি তোমাৰ কথা মই ৰাখিলোঁ'—এই বুলি তেওঁ টকাৰ টোপোলা এটা সি যোৱা বাটতে পেলাই দিলে। ভিক্ষাৰীটোৱে তেতিয়া ভাবিলে—কণা মানুহে বাৰু বাটেদি কেনেকৈ খোজ কাঢ়ি যায় চাওঁচোন। এই ভাবি সি সেইখিনি বাট চকু মুদি খেপিয়াই খেপিয়াই গ'ল। টকাৰ মোনাটো সি উজুটিয়াই গ'ল। তেতিয়া সদাশিৱে কলে—'দেখিলা পাৰ্ব্বতী, মই কৈছিলোঁ নহয়, কপালত নাথাকিলে যাচি দিলেও মানুহে সুখ-সম্পত্তি নাপায়।'

এনেকৈ হৰ-পাৰ্ব্বতীৰ সংবাদৰ মাজেদি গঞাসকলৰ জীৱন সংক্ৰান্ত অনেক উপদেশ প্ৰচাৰিত হৈ আছে। হৰ-পাৰ্ব্বতীয়ে কৃষি-জীৱনৰ কথা কৈয়ে এৰা নাই, বৰ্ষ ফলাফল কবলৈও আগ বাঢ়িছে। পঞ্জিকা আৰম্ভ হয় হৰ-পাৰ্ব্বতীৰ কথোপকথনেৰে। তাত পাৰ্ব্বতীয়ে হৰক সুধিছে—

'কৈলাসশিখৰাসীনাং হৰং প্ৰপচ্ছ পাৰ্ব্বতী,
অধুনা ব্ৰুহি মে নাথ নৱগ্ৰহফলাফলম্।।'

'পঞ্জিকাৰ ফলাফল মোক কোৱা প্ৰভো।' তেতিয়া শিৱই কৈছে—

'শৃণু দেবি প্ৰবক্ষামি নৱগ্ৰহ ফলাফলম্।
যস্য শ্ৰৱণমাত্ৰেন ত্ৰিবাজ্ঞানং লভেন্নৰঃ।।'

'কওঁ শুনা' এই বুলি শিৱই আৰম্ভ কৰিছে। এনেকৈয়ে হৰ-পাৰ্ব্বতীৰ কাৰ্য্য-কলাপ আৰু কাহিনীৰ প্ৰভাৱ জনসাধাৰণৰ জীৱনৰ লগত [illegible] একাকাৰে জড়িত হৈ আছে। তেওঁৰ পূজা-বিধিও সেইকাৰণে তেনেই সৰল। [illegible] মূৰ্ত্তি সাজি বেলৰ পাত আৰু কলপাত তেওঁক নহলেও পূজা [illegible] [illegible]। বাহুল্য একো প্ৰয়োজন নাই। [illegible] [illegible] [illegible] [illegible] [illegible] আচৰিত [illegible] [illegible] তাতেই [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] কৰে—

[illegible]

'[illegible] বিল্বদলেন পূজা [illegible] [illegible] [illegible] [illegible]।'

[illegible]

[illegible]

শিৱ-শক্তিৰ সমন্বয়

পুৰুষ শক্তিক প্ৰাধান্য দান আৰ্য্য চিন্তাধাৰাৰ এটি লক্ষণীয় বৈশিষ্ট্য। তাৰ বিপৰীতে নাৰী শক্তিৰ শ্ৰেষ্ঠত্ব স্বীকাৰ আৰ্য্যেতৰ জাতিসকলৰ চিন্তাৰ লক্ষণ। প্ৰাচীন আৰ্য্যসকলৰ মতে অকল মানুহৰ ক্ষেত্ৰতে নহয়, স্বয়ং ভগৱান বা দেৱতাসকলৰ মাজতো প্ৰথমে উদ্ভৱ হয় পুৰুষ ভগৱান (পৰম পুৰুষ) আৰু দেৱতাসকলৰ। তাৰ পাছত যুগ্ম বা মিথুন ভাবৰপৰা প্ৰয়োজনৰ তাড়নাত নাৰী-ভগৱতী বা দেৱীসকলৰ সৃষ্টি হয়। এনে ভাবৰ ক্ৰমবিবৰ্ত্তন ঘটিবলৈ অনেক যুগৰ আৱশ্যক হৈছিল। বৈদিক যুগত নাৰী শক্তিৰ উদ্ভৱ হৈছিল যদিও গোনতে যুগল ভাবৰপৰা উদ্ভৱ হোৱা নাছিল, স্বয়ংসম্পূৰ্ণ নাৰীৰহে সৃষ্টি হৈছিল। যুগ্ম দেৱ-দেৱীৰ সৃষ্টি হয় উপনিষদৰ যুগত। পৰবৰ্ত্তী পৌৰাণিক যুগত আকৌ দেৱ-দেৱীসকল কেৱল যুগ্ম হৈয়ে নাথাকিল, ঘোৰ সংসাৰী হৈ পত্ৰে-পুষ্পে সুশোভিত বৃক্ষৰ দৰে হবলৈ সতি-সন্ততি উৎপাদন কৰাতো প্ৰবৃত্ত হ'ল। বৈদিক যুগৰেপৰা লোকসমাজত প্ৰাধান্য লাভ কৰি অহা শক্তিমন্ত দেৱতাসকলৰ ভিতৰত মহেশ্বৰ বা সদাশিৱ হ'ল অন্যতম। বৈদিক যুগত তেওঁৰ শক্তি আছিল অসীম আৰু প্ৰকৃতি ভয়ঙ্কৰ উগ্ৰ। সেই হেতুকে তেওঁ ৰুদ্ৰ নামে পৰিচিত হৈছিল। উগ্ৰ দেৱতা বুলি ৰুদ্ৰ তেতিয়া ইমানে জনাজাত হৈ পৰিছিল যে উগ্ৰ অৰ্থ বুজাবলৈ ৰুদ্ৰ শব্দ বিশেষণ ৰূপেও ব্যৱহাৰ হৈছিল। উপনিষদৰ যুগত তেওঁ অলপ শান্ত প্ৰকৃতি ধাৰণ কৰিলে আৰু নাম ললে শিৱ। তেতিয়া তেওঁ গৃহী সংসাৰীৰ দৰে পত্নী গ্ৰহণ কৰিলে আৰু একেবাৰে গুচি বিবাহিত হ'ল। তেওঁৰ পত্নীৰ নাম হ'ল শিৱানী। এইদৰে আৰু কত কাল, কত যুগ গ'ল। পুৰাণৰ যুগ আহিল। তেতিয়া কিন্তু তেওঁলোকৰ সংসাৰ স্বামী-স্ত্ৰীৰ মিথুন সম্বন্ধৰ ভিতৰতে আবদ্ধ নৰ'ল, পুত্ৰ-কন্যাদিৰে তেওঁলোকৰ সংসাৰ ভৰি পৰিল। তেওঁলোকৰ পুত্ৰ-কন্যা ৰূপে কাৰ্ত্তিক, গণপতি, লক্ষ্মী, সৰস্বতী আদি দেৱ-দেৱীসকলে জন্ম লাভ কৰিলেহি। এই পৰিবৰ্ত্তনটোকে এইদৰেও কোৱা যায়

যে বেদৰ একবচনত থকা ৰুদ্ৰই উপনিষদৰ দ্বিবচনযুক্ত শিৱ-শিৱা বা শিৱ-শিৱানী হ'ল আৰু তেওঁৱেই পুনঃ সম্প্ৰদায়ত পৌৰাণিক যুগৰ হৰ-গৌৰী-কাৰ্ত্তিক-গণপতি-লক্ষ্মী-সৰস্বতীৰে ভৰা গৃহস্থালিখনৰ মালিক গৃহকৰ্তা হৈ পৰিল। সংস্কৃতত একবচন, দ্বিবচন আৰু বহুবচনৰো সৃষ্টি হৈছিল এনেকুৱা প্ৰয়োজনৰ তাড়নাত। বিশেষ মন কৰিবলগীয়া কথা এই যে আৰ্য্যসকলৰ কেৱল ধৰ্ম্ম আৰু সাধনাৰ ক্ষেত্ৰতে নহয়, সাহিত্য, সঙ্গীত, তন্ত্ৰ, দৰ্শন, শিল্প, গণিত আদিতো মিথুন ভাৱৰপৰা উদ্ভৱ হোৱা যুগলতত্ত্বৰ স্বীকাৰ কৰা হৈছে।

আৰ্য্যেতৰ জাতিসকলৰ ধাৰণাত নাৰী-শক্তিৰ সৃষ্টি প্ৰথমে হয় আৰু সৃষ্টিৰ মূলতে নাৰী; নাৰী শক্তিয়ে আদ্যা শক্তি আৰু সেই আদ্যা শক্তিৰ পৰাই বিশ্বজগতৰ সৃজন। নাৰীক বাদ দিলে সংসাৰ নচলে আৰু সেই-বাবে নাৰীৰ অন্য নাম প্ৰকৃতি। প্ৰকৃতিক আশ্ৰয় কৰিহে প্ৰাণী তিষ্ঠি থাকে। পিছে, পৰবৰ্ত্তী কালত আৰ্য্য আৰু অনাৰ্য্যসকলৰ মাজত ক্ৰমে যি সংঘাত, সংমিশ্ৰণ আৰু সমন্বয় ঘটিল তাৰ ফলত আৰ্য্য-অনাৰ্য্যৰ চিন্তাধাৰায়ো নতুন ৰূপ ললে। তেতিয়া আৰ্য্যসকলে মাতৃ-প্ৰকৃতিৰো প্ৰাধান্য স্বীকাৰ কৰিবলৈ বাধ্য হ'ল। ফলত শাস্ত্ৰ-বিশেষত ইয়াকো স্বীকাৰ কৰা হ'ল যে ব্ৰহ্মা-বিষ্ণু-মহেশ্বৰ ত্ৰিমূৰ্ত্তিৰো উদ্ভৱ হৈছিল আদ্যাশক্তিৰ পৰাই। এইদৰে ক্ৰমে ক্ৰমে পুৰুষ-প্ৰকৃতি দুয়ো সমান অধিকাৰ লভিবলৈ ধৰিলে।

পুৰাণসমূহৰো আকৌ বিভিন্ন পুৰাণত বিভিন্ন দেৱতাৰ প্ৰাধান্য প্ৰতিপন্ন কৰিবলৈ চেষ্টা চলিল। কোনো কোনো পুৰাণত ব্ৰহ্মাই শ্ৰেষ্ঠ দেৱতা বুলি দেখুৱাই তেওঁকেই আন সকলোৰে, আনকি বিষ্ণুৰো স্ৰষ্টা বুলি প্ৰতিপন্ন কৰা হ'ল। অন্য কোনো পুৰাণত বিষ্ণু হ'ল আদি দেৱতা, তেওঁৰ সমকক্ষ আন কোনো হব নোৱাৰে। কোনো কোনো পুৰাণত আকৌ মহেশ্বৰকে সৰ্ব্বশ্ৰেষ্ঠ দেৱতা বুলি অভিহিত কৰা হ'ল। মুঠতে একো একোখন পুৰাণত একো একো গৰাকী দেৱতাৰ মহত্ত্ব আৰু শ্ৰেষ্ঠত্বত গুৰুত্ব আৰোপ কৰা হৈছে। এই নিমিত্তে শঙ্কৰাচাৰ্য্যৰ বিখ্যাত শিৱাষ্টক-স্তোত্ৰটোৰ 'বিধিবিষ্ণুশিৰোধৃত-পাদযুগং' অৰ্থাৎ যাৰ পদযুগল ব্ৰহ্মা আৰু বিষ্ণুৱে মূৰত লৈ আছে—বোলা কথাষাৰে বুজাই দিয়ে যে ভক্তসকলেও নিজ নিজ ইষ্ট দেৱতাক আদিৰ 'আদি' দেৱতাৰ উপৰত স্থান দিছিল। শিৱাষ্টকস্তোত্ৰৰ প্ৰথম শ্লোকটো ইয়াত উদ্ধৃত কৰা হ'ল, যেনে—

প্ৰভুমীশমনীশমশেষগুণং, গুণহীনমহীশগৰলাভৰণম্ ।
ৰণনিৰ্জ্জিতদুৰ্জ্জয়দৈত্যপুৰং, প্ৰণমামি শিৱং শিৱকল্পতৰুম্ ॥১
গিৰিৰাজসুতান্বিতবামতনুং, তনুনিন্দিতৰাজিতকোটিবিধুম্ ।
বিধিবিষ্ণুশিৰোধৃতপাদযুগং, প্ৰণমামি শিৱং শিৱকল্পতৰুম্ ॥২
শশলাঞ্ছিত ৰঞ্জিত সন্মুকুটং কটিলম্বিত সুন্দৰকৃত্তিপটম্ ।
সুৰশৈবলিনীকৃত পূতজটং, প্ৰণমামি শিৱং শিৱকল্পতৰুম্ ॥৩

১। যি সকলোৰে প্ৰভু-ঈশ্বৰ, যাৰ আৰু কোনো ঈশ্বৰ নাই, যি অশেষ গুণশালী অথচ নিৰ্গুণ, নাগৰাজ বাসুকীৰ গৰল যাৰ আভৰণ, যি ৰণত দুৰ্জ্জয় দৈত্যপুৰ জয় কৰিছিল, সেই মঙ্গলৰ কল্পবৃক্ষ স্বৰূপ শিৱক প্ৰণাম কৰোঁ।

২। যাৰ বাওঁফালে পাৰ্ব্বতী বিৰাজ কৰিছে, যাৰ শৰীৰৰ জেউতিত কোটি কোটি শৰচ্চন্দ্ৰৰ আভা নিন্দিত হয়, যাৰ পদযুগল ব্ৰহ্মা আৰু বিষ্ণুৱে মূৰত তুলি লৈ আছে—সেই মঙ্গলৰ কল্পবৃক্ষ স্বৰূপ শিৱক প্ৰণাম কৰোঁ।

৩। চন্দ্ৰৰ দ্বাৰা যাৰ সুন্দৰ মুকুট ৰঞ্জিত, যাৰ কঁকালত সুন্দৰ ব্যাঘ্ৰচৰ্ম্ম ওলমি আছে আৰু গঙ্গাই যাৰ জটা পবিত্ৰ কৰিছে, সেই মঙ্গলৰ কল্পবৃক্ষ-ৰূপী শিৱক প্ৰণাম কৰোঁ।

ঠিক তেনেকৈ শাক্ত তন্ত্ৰতো শক্তিকেই সৃষ্টিত প্ৰাধান্য দিয়া হৈছে। শক্তিয়েই মূলা প্ৰকৃতি, সৃষ্টিৰ প্ৰাচীনতম ধাতু বা উপাদান আৰু তেওঁৰ পৰাই বিশ্বৰ সকলো উদ্ভৱ হৈছে। হিন্দুধৰ্ম্মৰ প্ৰধান আৰু পুৰণি দেৱতা তিনিজনায়ো সেই শক্তি স্বীকাৰ কৰিছে। শিৱপুৰাণ মতে সেই নাৰী-শক্তিৰ পৰা শিৱ অভিন্ন। দুয়োৰো জগত দুয়ো ওতপ্ৰোতভাৱে জড়িত আছে। শিৱ অবিহনে তেওঁ শক্তিৰ অস্তিত্ব ৰহিত হয় আৰু সেই শক্তিৰ [illegible] শিৱও শিৱ গুচি শক্তিহীন শৱ বা মৃত্যু-শ হৈ [illegible] শিৱোহপি [illegible] ব্যাপ্তিঃ। সেই হেতুকে শিৱ-ভক্তৰ দৃষ্টিত শিৱ-শক্তিৰ পাৰ্থক্য [illegible] নাই। যি শিৱ তেৱেঁই শক্তি, যি শক্তি তেৱেঁই শিৱ। [illegible] জীৱ তত্ত্ব শিৱঃ। [illegible] জীৱ তত শিৱ অৰ্থাৎ [illegible] শিৱৰ [illegible] শিৱৰ শক্তিৰূপা সতী পাৰ্ব্বতীয়েই [illegible] শিৱ [illegible] শিৱতত্ত্বতে বহুত [illegible]

'মাতা মে পাৰ্ব্বতীদেৱী, পিতা দেৱো মহেশ্বৰঃ।
বান্ধবাঃ শিৱভক্তাশ্চ স্বদেশো ভুবনত্ৰয়ম্ ॥'

তেওঁলোকৰ বিশ্বাস, যি কোনো ভক্তই শক্তিযুক্ত হৈ নিৰূপিত মন্ত্ৰ যপ কৰা উচিত। এই শক্তিযুক্ত হোৱা কথাটোত তেওঁলোকে অধিক গুৰুত্ব আৰোপ কৰে। তেওঁলোকে কয়—আনকি সৃষ্টিকৰ্ত্তা ব্ৰহ্মায়ো যেনো সাবিত্ৰীৰ লগত ইষ্টমন্ত্ৰ জপ-পৰায়ণ হৈহে সিদ্ধি লাভ কৰিব পাৰিছিল।

তন্ত্ৰমতে পীঠাধিষ্ঠাত্ৰী স্ত্ৰীদেৱতামাত্ৰেই শক্তি। এই শক্তি যাৰ অভীষ্ট দেৱতা তেৱেঁই শাক্ত। শক্তিয়ে শত্ৰু জয় কৰিবলৈ মন আৰু শৰীৰত বল দিয়ে- শক্যতে জেতুমনয়া—শক্+ক্তিন্ ; যিহৰ দ্বাৰা শত্ৰুক পৰাজয় কৰা যায়। তেনে শক্তি বিষ্ণুৰ পঞ্চাশটা আৰু শিৱৰো পঞ্চাশটা। লক্ষ্মী, সৰস্বতী, জয়া, দুৰ্গা, বিৰজা আদি বিষ্ণুৰ শক্তি আৰু মহাকালী, গৌৰী, লম্বোদৰী, ভদ্ৰকালী আদি মহাদেৱৰ শক্তি। একে শক্তিয়েই বিভিন্ন নামত বিৰাজ কৰিছে। মুণ্ডমালা তন্ত্ৰমতে শিৱৰ অংশত জন্মা অৰ্থাৎ শিৱক ইষ্ট গুৰু বুলি ভজা লোক মাত্ৰেই শৈৱ আৰু দেৱী বা আদ্যাশক্তিৰ অংশোদ্ভৱ মাত্ৰেই শাক্ত, কিন্তু পাৰ্থক্য ইমানেই যে শৈৱসকলে বহুত বছৰৰ সাধনাৰ অন্তত হে শাক্ত হব পাৰে, কিন্তু যি কোনো শাক্তই ইচ্ছা কৰিলে শৈৱ হব পাৰে। "ব্ৰাহ্মণ হওক, ক্ষত্ৰিয় হওক, বৈশ্য হওক, শূদ্ৰ হওক— শাক্তসকলক তুমি ব্ৰাহ্মণ বুলি ভাবিবা। এই শাক্তৰূপী ব্ৰাহ্মণসকলেই সাক্ষাৎ শিৱ, ত্ৰিনেত্ৰ, চন্দ্ৰশেখৰ" [illegible]

'বৈশ্যাশ্চ ব্ৰাহ্মণা দেৱি সৰ্ব্বে শূদ্ৰাশ্চ ব্ৰাহ্মণাঃ।
ব্ৰাহ্মণাঃ শঙ্কৰাশ্চৈৱ ত্ৰিনেত্ৰাশ্চ চন্দ্ৰশেখৰাঃ॥'

(মুণ্ডমালা তন্ত্ৰ)

এইদৰে শক্তিয়ে ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰূপৰ ঈশ্বৰ হৈ সমগ্ৰ জগত ব্যাপি আছে। ব্ৰহ্মা, বিষ্ণু আৰু শিৱও শক্তিৰে আধাৰস্বৰূপ। শক্তিৰূপ বিনাই কৰ্ম্ম এই শক্তি জগতত উপলব্ধি কৰিবলৈ [illegible] নাথকা।

'শক্তিঃ শিৱঃ শিৱঃ শক্তিঃ শক্তিব্ৰহ্মজনাৰ্দ্দনঃ।
শক্তিবিষ্ণো ৰৱিঃ শক্তি শক্তিশ্চন্দ্ৰো গ্ৰহা ধ্ৰুবং ॥
শক্তিৰূপং জগৎ সৰ্ব্বং ন জানাতি নাৰকী।'

[illegible] (দেৱীভাগৱত [illegible])

[illegible]

নহি হৰি হৰাৎ পৃথক্। বিষ্ণু আৰু শিৱ অৰ্থাৎ হৰি-হৰৰ অভেদ কল্পনা আন নালাগে মহাপুৰুষ শঙ্কৰদেৱৰ ৰচনাৰো দুই-এঠাইত পোৱা যায়, যেনে,

'পুণ্য নাম যত বিষ্ণু শিৱৰ।
তাক ভেদ বুদ্ধি কৰে যি নৰ॥
নামৰ সিও মহা অপৰাধী।
নৰকত পৰে দৈৰে নৰাধি॥" (নামাপৰাধ, কীৰ্ত্তন)

হৰি-হৰৰ অভেদ কল্পনা ভক্ত কবি বিদ্যাপতিৰ অনেক বন্দনাত পোৱা যায়। তাৰে এটা স্তুতিত তেওঁ কৈছে—

'ভল হৰি ভল হৰ ভল তুঅ কলা।
খন পীত বসন খনহি বাঘছলা॥
এক শৰীৰ লেল দুই বাস।
খনে বৈকুণ্ঠ খনে কৈলাশ॥
ভনই বিদ্যাপতি বিপৰীত বাণী।
ও নাৰায়ণ ও শূলপাণি॥"

অসমীয়া বৈষ্ণৱ বিচাৰতো হৰি-হৰৰ সম্বন্ধ নিকটতম। গোপেশ্বৰ শিৱক আৰাধনা কৰাৰ ফলতে যেনে। কুসুম্বৰ ভূঞাই এটি পুত্ৰ লাভ কৰিছিল আৰু তেৱেঁই আছিল অসমীয়া বৈষ্ণৱ ধৰ্মৰ গুৰু শঙ্কৰদেৱ। দ্বিজ ৰামানন্দৰ গুৰু-চৰিতত আছে যে মহাপুৰুষ মাধৱদেৱকো শিৱ-চতুৰ্দশী তিথিত শিৱক আৰাধনা কৰিবলৈ তেওঁৰ ককায়েক ৰূপচন্দ্ৰ শিৰীয়ে উপদেশ দিছিল। আকৌ দক্ষিণপাট সত্ৰ স্থাপন কৰোঁতা বনমালীদেৱৰ চৰিতত পোৱা যায় যে তেৱোঁ যেনো এবাৰ হলেশ্বৰ নামৰ শিৱমূৰ্ত্তিৰ সম্মুখীন হৈছিল আৰু সেই মূৰ্ত্তিক তেওঁ প্ৰণাম কৰিব নে নকৰিব তাক ভাবি চিন্তাকুল হৈ পৰিছিল, কাৰণ তেওঁ আছিল শুদ্ধ বৈষ্ণৱ। শেষত তেওঁ এক শৰণ ৰক্ষি মৰ্য্যাদা ৰক্ষা কৰি শিৱ মূৰ্ত্তিক বিষ্ণুমূৰ্ত্তি বুলি ধৰি হৰি-শিৱ-বিষ্ণুৰ অভেদ জ্ঞানে মূৰ্ত্তিক সেৱা জনাইছিল—

'হৰি বুদ্ধি কৰি তাক কৰিলন্ত সেৱ।
সো আনন্দ [illegible] [illegible] দেৱ॥"

এনেদৰে দুইৰ উক্ত আৰু দুইৰ সংযোগতে মহত্ত্ব [illegible] [illegible] এই নীতি ধৰি আছে। [illegible]

ইতৰ জন্ম। হিন্দুৰ অৰ্দ্ধনাৰীশ্বৰৰ কল্পনাও সেই একে ভাবতে উদ্ভৱ হৈছে। ভগৱান ব্ৰহ্মায়ো যেনো মনৰ মাজত মৈথুনৰ প্ৰবৃত্তি জাগি উঠাত মিথুনৰ আগ্ৰহ হয়লৈ বুলি ৰহস্যচ্ছলে দ্বিধা বিভক্ত হৈ নিজৰ শৰীৰৰ পৰাই নাৰীক সৃষ্টি কৰিছিল। সহজীয়াসকলৰ মতেও 'ৰাধা-কৃষ্ণ এক দেহ জানিহ নিশ্চয়' (আগমসাৰ)। সেই একে ভাবৰে উৎস বৃহদাৰণ্যক উপনিষদতো পোৱা যায়—'আত্মৈবেদমগ্ৰ আসীদেক এব সোঽকাময়ত জায়া মে স্যাৎ।' তাৰেই প্ৰতিধ্বনি মনুসংহিতাতো শুনা যায়—'দ্বিধা কৃত্বাত্মনো দেহমৰ্দ্ধেন পুৰুষোঽভবৎ। অৰ্দ্ধেন নাৰী তস্যাং স বিৰাজমসৃজৎ প্ৰভুঃ।' পুৰাণৰ হৰ-পাৰ্ব্বতীৰ কল্পনাও অৰ্দ্ধনাৰীশ্বৰৰ কল্পনা। অৰ্দ্ধনাৰীশ্বৰৰ কল্পনা একালে যেনেকৈ ধৰ্মতত্ত্বমূলক, আনফালে তেনেকৈ প্ৰেমতত্ত্বৰ ব্যাখ্যাত্মক। সেই অৰ্দ্ধনাৰীশ্বৰ শঙ্কৰ ভগৱানক ভক্ত কবি বিদ্যাপতিয়ে এইদৰে প্ৰাৰ্থনা জনাইছে—

'জয় জয় শঙ্কৰ জয় ত্ৰিপুৰাৰি।
জয় অধ পুৰুষ জয়তি অধনাৰী॥
অধ ধৱল আধা তনু গোৰা।
আধ সহজ কুচ আধ কটোৰা॥
আধ হাড়মালা আধ গজমোতী।
আধ চানন শোহে আধ বিভূতি॥

• • •

আধ চান আধ সিঁদুৰ শোভা।
আধ বিৰূপ আধ জগলোভা॥
ভণ 'কবি ৰত্ন বিদ্যাপতি ভাণে।
দুই কয় বাঁটল এক পৰাণে॥'

আকৌ শক্তিৰ কথা উল্লেখ কৰি ব্ৰহ্মবৈবৰ্ত্ত পুৰাণত স্বয়ং নাৰায়ণে কৈছে—'মাটি নহলে যেনেকৈ কুমাৰে আৰু সোণ নহলে যেনেকৈ সোণাৰীয়ে যথাক্ৰমে ঘট আৰু কুণ্ডল গঢ়িব নোৱাৰে, শক্তি নহলে ময়ো আপোনাৰ সৃষ্টিকাৰ্য্যৰ একোকে কৰিব নোৱাৰো। শক্তিক সৃষ্টিৰ মূল শক্তি বুলিয়ে ধৰিবা।' (ব্ৰহ্মবৈবৰ্ত্ত পুৰাণ, শ্ৰীকৃষ্ণ খণ্ড)।

দুৰ্গা আৰু কালী এই দুজনাকী প্ৰধান শক্তি-দেৱতা। দুয়োজনা আকৌ শিৱৰ নিবিড় সঙ্গ। দুয়োগৰাকী পুৰাণত শিৱৰ বিশিষ্ট স্থান আৰু অংশ

আছে। দুৰ্গাপূজা আৰু মনসা পূজাৰ ক্ষেত্ৰত ওজাপালি গীত আৰু নৃত্য এটা অপৰিহাৰ্য্য অঙ্গ। অন্য নহলেও দেৱীৰ পূজাৰ সময়ত দুয়োবিধ পূজাতে মালচী গীত গোৱা এটি বিধি-বিহিত ৰীতি হৈ পৰিছে। মালচী মালৱশ্ৰীৰ অপভ্ৰংশ হব পাৰে। সি যি হওক, মালচী গীতত ওজাপালিয়ে সদায় শিৱ-দুৰ্গাৰ স্তুতি গায়। কোনো গীতত শিৱৰ স্তুতিয়ে আৰু অন্য কোনো গীতত দুৰ্গাৰ স্তুতিয়ে প্ৰাধান্য লভে। দুই-একোটা গীতত আকৌ শিৱ-দুৰ্গা দুয়োৰো গুণ-কীৰ্ত্তন একত্ৰে গোৱা যায়। সেই গীতৰ মাজেদি তেতিয়া যেন শিৱ-শক্তিৰ সমন্বয়ৰ শ্ৰেষ্ঠ নিদৰ্শন ওলাই পৰে। অসমৰ বিখ্যাত শাক্ত আহোম ৰজা শিৱসিংহ স্বৰ্গদেৱৰ নামত চলি থকা মালচী গীত এটাৰ উদ্ধৃতি দিলে বিষয়টো সহজে বোধগম্য হব—

গীত

জয় শিৱেক ভাবিনী শিৱৰ কামিনী
মহিষমৰ্দ্দিনী অম্বিকে—
ইতিনি লোচনী সহিতে মনোহৰ
মুখ শশধৰ শোভিতে॥
জয় চৰণে বল্লভ, চৰণে বল্লভ
দিগ্বিদিকৰ দুখ-ভয় হাৰিকে॥
যাহাক কৰা দয়া, তাহাৰ মহামায়া
ভৱভয় দুখ হাৰিকে॥
জয় নবীন যৌৱন উন্নত কুচ ঘন
হৰ-মন মোহ মোহিতে।
দিব্য আভৰণ [illegible] শৰীৰ [illegible]
মুনিৰ [illegible] মোহিতে [illegible]
জয় ত্ৰিশূল চক্ৰহাত [illegible] [illegible]
চাৰু [illegible] শোভিতে। [illegible]
[illegible] [illegible]
[illegible]
[illegible]
[illegible]

স্মৰোহো দীনমতি শিৱ নৰপতি
চৰণ যুগ তৱ বন্দিতে ॥"

হিন্দুৰ অৰ্দ্ধনাৰীশ্বৰ কল্পনাৰ লগত আৰ্য্য-অনাৰ্য্যৰ সংঘৰ্ষ আৰু সমন্বয়ৰো ইতিহাস পৰোক্ষভাৱে জড়িত আছে। পিতৃতন্ত্ৰী আৰ্য্যসকলে বহুকাললৈ মাতৃতন্ত্ৰী অনাৰ্য্যসকলৰ ভাব-চিন্তা গ্ৰহণ কৰা নাছিল; পিছত প্ৰয়োজনৰ তাড়নাত যেতিয়া অনাৰ্য্য চিন্তাধাৰাৰ বহুত কথা তেওঁলোকে মানিবলৈ বাধ্য হ'ল— তেতিয়া শিৱানী শিৱৰ অকল স্ত্ৰী হৈয়ে থাকিল, ভগ্নী, স্ত্ৰী আৰু মাতা তিনিওটা ৰূপত ৰূপায়িত হ'ল। কথিত আছে যে শিৱই শিশুৰূপত শিৱানীৰ স্তন্য পান কৰিছিল। সেই অৰ্থত তেওঁ শিৱৰ মাতা। একে শৰীৰৰ পৰাই সম্ভৱ হোৱা বুলি শিৱ-শিৱা অৰ্দ্ধনাৰীশ্বৰ ৰূপত ভ্ৰাতা-ভগ্নী। ক্ৰমে অনাৰ্য্য ভাবৰ মাত্ৰা বৃদ্ধি পোৱাত অকল কল্পয়ে শিৱৰ কাষতে শিৱানীৰো ক্ৰমে ৰৌদ্ৰভাব বৃদ্ধি হ'ল। তেতিয়া শিৱৰ বুকুত শ্যামা-কালীয়ে আৰোহণ কৰিলে, আৰ্য্যৰ পুৰুষ শক্তিয়ে অনাৰ্য্যৰ নাৰী শক্তিৰ ওচৰত হাৰ মানিলে, শিৱৰ শৱত্ব ঘটিল। ইফালে শিৱ আকৌ মৰণ-দেৱতা; কালীয়ে সেই মৰণকো জয় কৰি সাধনাত সিদ্ধি লভিলে।

শাক্তসকলৰো সাধনাৰ প্ৰথম বা আদি উদ্দেশ্য ভীতি-বিজয়। শক্তিক উগ্ৰ কালীৰ ভয়ঙ্কৰ ৰূপ সাধকসকলৰ উপাস্য মূৰ্ত্তি। শিৱৰ হেৰে আত্ম-বলিদান তেওঁলোকৰ দ্বিতীয় উদ্দেশ্য বা লক্ষ্য।

শিৱ-দুৰ্গা বা হৰ-পাৰ্ব্বতীৰ আৰু ৰাধা-কৃষ্ণই যুগ যুগ ধৰি হিন্দুৰ ধৰ্ম্ম-জগৎ আৰু কৰ্ম্ম-জগৎ ব্যাপকভাৱে দখল কৰি আছিছে। হৰ-পাৰ্ব্বতী অকল দেৱ-দেৱীৰূপেই পূজিতা নহয়, আদৰ্শ পতি-পত্নীৰূপেও সমাদৃত। সেই হেতুকে অকল ধৰ্ম্ম-শাস্ত্ৰতে নহয়, কাব্যতো তেওঁলোকৰ বিশিষ্ট স্থান আছে। জায়া আৰু জননী বাবেই ৰঘুবংশ আৰু কুমাৰসম্ভৱৰ মূল কথা। আন হাতে ৰাধা-কৃষ্ণৰ মিলনৰ আদৰ্শ সহজীয়া পন্থাৰ ভক্তসকলৰ পালনীয় ৰীতি। নামত সহজীয়া হলেও বস্তুতঃ সেই নীতি জীৱন-যাত্ৰাত নিকণ্টক নহয়। হৰ-গৌৰী আৰু ৰাধা-কৃষ্ণৰ আদৰ্শৰপৰাই বাস্তৱ ক্ষেত্ৰত ক্ৰমে স্বকীয়া আৰু পৰকীয়া ভাবৰ মিলনাদৰ্শ উদ্ভৱ হৈছে বুলিলেও ভুল নহব। ৰাধা-কৃষ্ণৰ জীৱনৰ দুৰূহ মিলনাদৰ্শৰ আশা এৰি সেই হেতুকেই হৰ-গৌৰীৰ সহজ-সৰল পতি-পত্নীৰ মিলনাদৰ্শ সকলোৱে জীৱনত বাঞ্ছা কৰে আৰু

বিয়াত 'হৰ-গৌৰীৰ মিলন হওক' বোলা আশীৰ্বচন লভিবলৈ ভাল পায়। হৰ-গৌৰীৰ জীৱন কাহিনীত কত যুগৰ সংস্কৃতি আৰু ঐতিহ্য যে পুঞ্জীভূত হৈ আছে সেই কথা ভাবিলে বিস্ময়াভিভূত নহৈ নোৱাৰি। মুঠতে হৰ-গৌৰীৰ কাহিনী ভাৰতীয় ইতিহাসৰ এটি নিৰবচ্ছিন্ন বিচিত্ৰ চিন্তা-ধাৰা।

ইয়ানতে আমাৰ আলোচনা-বিলোচনাৰ সামৰণি মেলাই কোৱা যাওক— যি সৰ্ব্বলোকোত্তৰ-চৰিত দেৱাদিদেৱ মহাদেৱ, যি প্ৰণত-পালক আশুতোষ, যাৰ গুণ-মহিমা বৰ্ণাই লোকে অন্ত নাপায়, সেই দেৱতায়েই আমাৰ মঙ্গল বিধান কৰক।

যি দেৱতা লোকপ্ৰিয়, যাক অত্যন্ত ঘৰুৱা আৰু আত্মীয় বোধেৰে লোক-সমাজে আদৰি লয়, যি দেৱতাৰ আগত উচ্চ-নীচ সকলো সমান, সেই পৰম ব্ৰহ্মজ্ঞানী দেৱতায়েই আমাৰ মঙ্গল বিধান কৰক।

যি দেৱতাই কল্পান্তত ৰুদ্ৰমূৰ্ত্তি ধাৰণ কৰি জগৎ সংহৰণ কৰি অনন্তত লীন নিয়াৰ আৰু জগতৰ ক্লান্ত-শ্ৰান্ত প্ৰাণীপুঞ্জক শেষ শান্তি দান কৰিব সেই দেৱাদিদেৱেই আমাৰ মঙ্গল বিধান কৰক।

—x—

বাগ্মীনেতা দেশভক্ত ফুকন

শ্ৰীঅতুলচন্দ্ৰ বৰুৱা

BAGMINETA DESABHAKTA PHOOKUN—Desa bhakta Phookun, the leader as an orator—a brochure dealing with the different aspects of the leader, Tarunram Phookun's oratorical genius - written by Sri Atul Chandra Barua and published by Sri Naren Hazrika of Mangaldai, in commemoration of the birth centinary of the Desabhakta, 1977

প্ৰকাশক :

শ্ৰীনৰেন হাজৰিকা বি এ.

মঙ্গলদৈ

প্ৰথম সংস্কৰণ : জানুৱাৰী, ১৯৭৭

বেচ :

সাধাৰণ সংস্কৰণ..... তিনিটকা

উন্নত সংস্কৰণ..... পাঁচ টকা

মুদ্ৰাকৰ :

শ্ৰীপ্ৰকাশ শৰ্মা বি. এচ্চি, [illegible]

পূৰ্বাঞ্চল মুদ্ৰণ

বিহাবাৰী, গুৱাহাটী-৭৮১০০৮

উৎসৰ্গ

মৰমৰ জী-জোঁৱাই
মিনু আৰু গোনাৰ হাতত
তেওঁলোকৰ বিয়াৰ সময়তে ফুলি উঠা
এইপাহি স্মৃতি-পুষ্প

কৈফিয়ৎ

অসম সাহিত্য সভা আৰু অসমৰ ৰাজ্যিক চৰকাৰে ১৯৭৫ চনৰ তিনি নবেম্বৰত কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ আৰু ১৯৭৭ চনৰ ২২ জানুৱাৰীত দেশভক্ত তৰুণৰাম ফুকনৰ জন্মশতবাৰ্ষিকীৰ দিন দুটা নিষ্ঠা সহকাৰে আনুষ্ঠানিকভাৱে উদ্‌যাপন কৰিবলৈ লৈ সেই আপাহতে দুয়োগৰাকী পুণ্যশ্লোক দেশনেতাৰ কাৰ্য্যাৱলী আলোচনাৰ যত্ন। দুয়োৰে স্মৃতি-তৰ্পণ কৰাৰ উপৰিও তেওঁলোকৰ ৰচিত ৰচনাৱলী আৰু সেই সম্পৰ্কীয় স্মৃতিগ্ৰন্থ প্ৰকাশ কৰিবলৈ কৰা প্ৰচেষ্টা অসমবাসী আৰু অসমীয়া ৰাইজৰ কাৰণে কম ভাগ্য, উৎসাহ আৰু গৌৰৱৰ কাৰ্য্য হোৱা নাই। দেশৰ শাসন আৰু সাহিত্যৰ ইতিহাসত এনে মহৎ কাৰ্য্যৰ স্বীকৃতি যথাযথৰূপে লিপিবদ্ধ হৈ থাকিব।

মুক্তিযুদ্ধৰ [illegible] বিখ্যাত নেতা হৈও ফুকন আৰু বৰদলৈ [illegible] অসমীয়া সাহিত্যৰ ভঁৰালত যি কেইপদ বাছকবনীয়া 'জাপিকটা ফুলপাহ' দান দি গ'ল তাৰ তুলনা নাই। [illegible] আছিল দুয়োৰে সেই সাহিত্য-কৃতিৰ [illegible]।

দুয়োজনা, বিশেষকৈ দেশভক্ত ফুকনৰ 'অসমবান্ধৱ' [illegible] [illegible] আছিল [illegible] আৰু [illegible] [illegible] সেই [illegible]

আভাস সাহিত্য সভাৰ স্মৃতিগ্ৰন্থত থুলমূলভাৱে দিবলৈ নিৰ্দিষ্ট হৈ আমি বিফল চেষ্টা কৰিবলগীয়া হৈছিলোঁ। তাতেই আমাৰ আৰাধ্য গুৰু আৰু উপ-দেষ্টা শ্ৰীযুত অতুলচন্দ্ৰ হাজৰিকাদেৱৰ উপদেশক্ৰমে নতুন সমল সংযোগৰ সহায়ত ভাঙি ন-কৈ গঢ়ি 'বাগ্মীনেতা দেশভক্ত ফুকন' ৰূপে ৰূপায়িত কৰা হ'ল। বাগ্মিতাৰ প্ৰসঙ্গত দেশভক্তৰ কাৰ্য্যাৱলী আৰু আঞ্চলিক ভাষাজ্ঞানৰ নিদৰ্শন আমাৰ সেই সময়ৰ পঢ়াশলীয়া ছাত্ৰসুলভ জ্ঞান আৰু অভিজ্ঞতাৰ হেতুকে মঙ্গলদৈ অঞ্চলতে আবদ্ধ থাকিল। অৱশ্যে সম্প্ৰসাৰণৰ আশা আৰু থল ব'ল।

আহি-কাকত চোৱাত আমাক শ্ৰীমান নৰকুমাৰ হাজৰিকা বোপাই সহায় কৰিছে। তেওঁলৈ আমাৰ আশীৰ্বাদ আৰু আদিবৈপৰা অন্তলৈ দিহা পৰামৰ্শ দি সহায় কৰা বাবে শ্ৰদ্ধেয় শ্ৰীযুত গিৰিধৰ শৰ্মাদেৱলৈ আমাৰ কৃতজ্ঞতাপূৰ্ণ স্বীকৃতি থাকিল।

১২ ডিচেম্বৰ/১৯৭৬

নৱগিৰি ; চানমাৰি — শ্ৰীঅতুলচন্দ্ৰ বৰুৱা

গুৱাহাটী—৭৮১০০৩

দেশভক্ত তৰুণৰাম ফুকন

(থোৰতে জীৱনীটো)

কাল পৰিবৰ্তনশীল। কালৰ চক্ৰত জগতৰ সকলো বস্তুৰে পৰিবৰ্তন ঘটে। ই জাগতিক ৰীতি। ইয়াৰ ব্যতিক্ৰম নাই। আমাৰ স্বাধীন ভাৰতত এনে এটা দিন আছিল যেতিয়া জনতাৰ মাজৰপৰা কোনো এজনে উচ্চৈস্বৰে 'বন্দে' বুলি চিঞৰি উঠিলে আনসকলে লগে লগে উত্তেজিত কণ্ঠে প্ৰতিধ্বনিৰ দৰে উত্তৰ দিছিল—'মাতৰম্'। তেনেকৈ 'ইন্‌কিলাব' ধ্বনিৰ উত্তৰত শুনাইছিল 'জিন্দাবাদ্'। এই ধ্বনিবোৰৰ যুগ্মবন্ধন যেন অবিচ্ছেদ্য, অবিভাজনীয়, অভ্ৰান্ত আৰু অপৰিবৰ্তনীয়। ঠিক তেনেকৈ কিছুমান লোকে নিজৰ শক্তিৰ বলত এনে কিছুমান বিশেষ আখ্যা নামৰ লগত অৰ্জন আৰু সংযোজন কৰি লবলৈ সক্ষম হৈছিল যিবোৰ আঙুলিৰ নখৰ দৰে হৈ তেওঁলোকৰ নিজ নিজ নামৰ অংশবিশেষ হৈ পৰিছিল: স্বামী বিবেকানন্দ, লোকমান্য তিলক, মহাত্মা গান্ধী, দেশবন্ধু চিত্তৰঞ্জন দাস, কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ, দেশভক্ত তৰুণৰাম ফুকন, লোকপ্ৰিয় গোপীনাথ বৰদলৈ—আদিৰে লোকসকলক উদাহৰণ। দেশভক্ত ফুকন বুলিলে মানুহে তৰুণৰাম ফুকনৰ বাহিৰে আনৰ কথা নাভাবে। এইজনা সিংহ-পুৰুষৰ কৰ্মময় জীৱনৰ চমু বিৱৰণ এটা ইয়াত পোনতে দাঙি ধৰা যাওক।

দেশভক্ত ফুকনৰ পূৰ্বপুৰুষসকল আছিল আদিতে উজনিৰ মানুহ। তেওঁৰ আজো ককাক আহোমৰ অৱস্থাতে ঘাটিয়াটিয়া হৈ নামনিৰ অকলশৰে [illegible] পাইছিলহি। সেই সময়ত গুৱাহাটীত [illegible] বুলি [illegible] সাধু সন্ন্যাসী পৰিয়ালৰ আহি বাস কৰিছিল। এই [illegible] [illegible]

[illegible]

[illegible]

[illegible]

এওঁলোকৰ ঘৰসংসাৰো পাতি দিছিল। পাতনীয়ে আছিল একমাত্ৰ কন্যাশিশু।

লক্ষ্মীনাৰায়ণ ব্ৰহ্মচাৰীৰ ভণ্ডাৰধানক ডাঙৰ-ডীঙৰ হোৱা পৰশুৰামৰে পুত্ৰ যজ্ঞৰাম, যজ্ঞৰামৰ পুতেক বলৰাম আৰু বলৰামৰ পুত্ৰ প্ৰসিদ্ধ তৰুণৰাম ফুকন। বলৰাম ফুকনৰ তিনিজনী ভাৰ্য্যা। তাৰে তৃতীয় গৰাকীৰ গৰ্ভত তৰুণৰামৰ জন্ম হয়—ইংৰাজী ১৮৭৭ চনৰ ২২ জানুৱাৰী, ১৭৯৯ শকৰ ৮ মাঘ, শনিবাৰে, গুৱাহাটীৰ ভৰলুমুখত।

তৰুণৰাম ফুকন কথাই-কামে চিৰ-তৰুণ আছিল। সকলো ঠাইতে, সকলো অৱস্থাতে তেওঁ উৎসাহ-আনন্দৰ জীৱন্ত প্ৰতিমূৰ্ত্তি স্বৰূপ আছিল। তেওঁ তীক্ষ্ণ বুদ্ধিৰ ছাত্ৰ আছিল আৰু তেওঁৰ হাতৰ আখৰো—ইংৰাজীয়ে হওক বা অসমীয়াই হওক—বৰ ধুনীয়া আছিল। তেওঁৰ স্মৃতিশক্তি ইমান প্ৰখৰ আছিল যে এবাৰ পঢ়া কথাখিনি তেওঁ দুবাৰ পঢ়িব নালাগিছিল।

১৮৯৫ চনত গুৱাহাটী হাইস্কুলৰপৰা (১৯০০ চন পৰ্য্যন্ত গুৱাহাটী কলেজিয়েট হাইস্কুলৰ নাম আছিল গুৱাহাটী হাইস্কুল) তেওঁ প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ দহটকীয়া জলপানি লৈ কলিকতাৰ প্ৰেচিডেন্সি কলেজত পঢ়িবলৈ গৈছিল। উচ্চ শিক্ষা লাভ কৰাৰ উদ্দেশ্যে কলিকতাত তেতিয়া অনেক অসমীয়া ছাত্ৰ বাস কৰিছিল। সেইসকলৰ ভিতৰত ৰাধানাথ ফুকন, নবীন চন্দ্ৰ বৰদলৈ, বিষ্ণুপ্ৰসাদ দুৱৰা, কালিৰাম মেধি, প্ৰবোধ চন্দ্ৰ বৰদলৈ, যোগেন্দ্ৰ নাথ বৰুৱা (জৰ্জ), কমল চন্দ্ৰ কাকতি, লক্ষ্মীনাথ শৰ্মা, জগন্নাথ বুজৰবৰুৱা, চন্দ্ৰেশ্বৰ চলিহা, সূৰ্য্য বৰুৱা, বামদেৱ গোস্বামী, সত্যৰাম দাস আদিসকলৰ নাম বিশেষ উল্লেখযোগ্য।

১৮৯৭ চনত তৰুণৰাম ফুকন ভাঙৰীয়া এফ. এ. বহলাত উত্তীৰ্ণ হয়। তাৰ পাছত তেওঁ প্ৰেচিডেন্সি কলেজতে বি-এ পঢ়ে। সেই সময়ত বিলাতলৈ যোৱাটো অনেক ছাত্ৰৰে এটা জীৱনৰ স্বপ্ন যেন হৈ পৰিছিল। ডেকা তৰুণৰাম ফুকনেও বিলাতলৈ যোৱাৰ মধুৰ সপোন দেখিছিল। সপোন দেখাই নহয়, সেই সপোন তেওঁ কাৰ্য্যতো পৰিণত কৰিলে: "শৰৰ সহস্ৰ-[illegible] কৰ্জা লৈ হলেও তেওঁ বিলাতলৈ গৈছে এৰিলে।" ই উনবিংশ শতিকাৰ শেষ [illegible] কথা। তেওঁ [illegible] অধিক কাল "বিলাতত কটাইছিল [illegible] এই কালছোৱাৰ ভিতৰতে [illegible] পাছ [illegible] কৰিছিল।" বিলাতত

তেওঁৰ বয়স্য বন্ধু আছিল জে. বকৰ'। বিলাতত থকা কালত দুয়ো হেনো দুখন নতুন চাইকেল লৈ এটা নির্দিষ্ট সময়ত লণ্ডনৰ আলিবাটত চাইকেলত উঠি টহল দিয়াটো দুয়োৰো এটা অভ্যাসৰ কাম হৈ পৰিছিল।

অসমলৈ উভতি অহাত ১৯০৫ চনত বেৰিষ্টাৰ তৰুণৰাম ফুকন ডাঙৰীয়াক গুৱাহাটীৰ সম্ভ্রান্ত শিক্ষিত সম্প্রদায়ে সমূহীয়াভাৱে কটন কলেজত সম্বর্দ্ধনা জনাইছিল। মিষ্টাৰ এফ. ডব্লিউ. ছুডমৰ্ছন চাহাব তেতিয়া কটন কলেজৰ অধ্যক্ষ আছিল। বিলাতী চাহাবসকলৰ বাহিৰেও মানিক চন্দ্ৰ বৰুৱা, ৰায়বাহাদুৰ ভুবনৰাম দাস, ৰায়বাহাদুৰ কালীচৰণ দাস প্রমুখ্যে গুৱাহাটী চহৰৰ অনেক গণ্যমান্য লোক এই সম্বর্দ্ধনা সভাত উপস্থিত আছিল। ফুকনে এই সভাত প্রায় এঘণ্টাকাল বিলাতত লাভ কৰা অভিজ্ঞতাৰ বিষয়ে সুন্দৰ ইংৰাজীত অনর্গল বক্তৃতা দি শ্রোতাসকলক মুগ্ধ কৰিছিল।

তৰুণৰাম ফুকন ডাঙৰীয়াই ১৯০৫ চনৰপৰা ১৯০৯ চনলৈ কলিকতাতে ভাৰাঘৰত থাকি আইন ব্যৱসায় আৰম্ভ কৰে। এই সময়তে ৰবীন্দ্রনাথ ঠাকুৰে তেওঁক নিজৰ জোঁৱাইৰূপে পাবৰ কাৰণে যত্ন কৰিছিল। তেওঁ কিন্তু সেই প্রস্তাৱত সম্মতি নিদি কৈছিল—'তাকে কৰিলে মই আৰু তৰুণৰাম ফুকন হৈ নাথাকিম; মানুহে মোক ৰবি ঠাকুৰৰ জোঁৱাই বুলিহে জানিব। মই তৰুণৰাম ফুকন হৈয়ে থাকিব খোজোঁ।' তাৰ পিছত ১৯১০ চনত ডিব্রুগড় নিবাসী পৰশুৰাম খাউণ্ড হাকিমৰ তৃতীয় কন্যা বিদ্যুৎপ্রভা (ঘৰত মতা নাম বিজুলী) আইদেউৰ লগত তেওঁৰ বিয়া হয়।

বৈবাহিক জীৱনত তেওঁসকলৰ চাৰিটি সন্তান লাভ হয়; দুটি পুত্র, দুজনী কন্যা। কন্যা দুগৰাকী (প্রতিভাদেৱী আৰু ৰেণু দেৱী) আজি ইহ সংসাৰত নাই। পুত্র দুজনা শ্রীবলেন্দ্রৰাম ফুকন আৰু শ্রীনৃপেন্দ্রৰাম ফুকন দুয়ো নিজ নিজ কর্মক্ষেত্রত সুপ্রতিষ্ঠিত হৈছে। শ্রীবলেন্দ্রৰাম ফুকন এজন কৃতী জননায়ক আৰু শ্রীনৃপেন্দ্রৰাম ফুকন অসম চৰকাৰৰ এজন ওখ খাপৰ বিষয়া।

দেশভক্ত ফুকন ডাঙৰীয়াই ওৰে জীৱন দেশৰ কামতেই কটাইছিল। কর্মবীৰ নবীনচন্দ্ৰ বৰদলৈ আছিল তেওঁৰ জ্যেষ্ঠ সহকর্মী। এই দুজনা নেতাৰ সাহস, বুদ্ধি আৰু ধৈর্য্যৰ গুণতে ১৯২৬ চনত ইংৰাজৰ কঠামুঠীয়া শাসন কালতো চৰকাৰী সাহায্য নুলৈকে থাকক, চৰকাৰৰ লগত শিং পাতি গুৱা-

ছাটীৰ ওচৰৰ পাণ্ডু নগৰত সৰ্বভাৰতীয় কংগ্ৰেছ মহাসভাৰ মুকলি অধিৱেশন পতা সম্ভৱ হৈ পৰিছিল। ফুকন ডাঙৰীয়াৰ বৈচিত্ৰ্যপূৰ্ণ জীৱনৰ একো একোটি উজ্জ্বল গুণে জীৱনৰ একো একো দিশ উদ্ভাসিত কৰি সেই দিশত উজলি উঠা ফুকনজনকে ফুকন বুলি জানিবলৈ দি বহুগুণসম্পন্ন ফুকনগৰাকীক সম্যকৰূপে জনাত আহুকাল ঘটাইছিল। সেয়েহে চিকাৰী ফুকন, সভাপণ্ডিত ফুকন, দেশভক্ত ফুকন, ছাত্ৰবন্ধু ফুকন, সাহিত্যিক ফুকন, বেৰিষ্টাৰ ফুকন, ৰসিক ফুকন, অশ্বাৰোহী ফুকন, ৰৰণী বোৱা কানাই-ফুকন আদি নানাভাৱে মানুহে তেওঁক জানিছিল আৰু বুজিছিল। সেই হেতুকে খেনোৰে তেওঁৰ মৃত্যুত পূৰণি বচন মাতি কৈছিল—

যদি বীৰ বালী বীৰ অৰ্দ্ধ হনুমান।
নহৱ নোলাব বীৰ কৰ্ণৰ সমান॥—

তৰুণৰাম ফুকন আছিল তেনে এজন মহাবীৰ কৰ্ণ।

১৯৩৯ চনৰ ২৮ জুলাইত দেশভক্ত তৰুণৰাম ফুকন ডাঙৰীয়াৰ অকস্মাৎ পৰলোক ঘটে। ফুকন ডাঙৰীয়াৰ অক্লান্ত দেশসেৱাৰ ক্ষুদ্ৰ স্বীকৃতিৰূপে দেশবাসীয়ে তেওঁক জীৱদ্দশাতে দেশভক্ত আখ্যাৰে বিভূষিত কৰিছিল।
(১৫ আগষ্ট, ১৯৭৬)

বাগ্মী ফুকন

একালত তৰুণৰাম ফুকনৰ নাম নুশুনা লোক অসমত নাছিল। আবাল-বৃদ্ধ সকলোৱে তেওঁক জানিছিল। সম্পূৰ্ণ নাম যদিও আছিল তৰুণৰাম ফুকন তথাপি তেওঁ লোকসমাজত জনাজাত আছিল—তৰুণ ফুকন, ফুকন চাহাব, ফুকন ডাঙৰীয়া আৰু বিশেষকৈ দেশভক্ত ফুকন বুলিহে। সাহস, প্ৰতিভা, বাগ্মিতা, উপস্থিত বুদ্ধি আৰু ৰূপলাৱণ্য—এইবোৰৰ সমাহাৰ একত্ৰে ধাৰণ কৰা তেওঁৰ সমকক্ষ লোক অসমত কিয় ভাৰততে অতি বিৰল আছিল। ইয়াত ফুকন ডাঙৰীয়াৰ বাগ্মিতাৰ ক্ষুদ্ৰ আভাস এটি মাত্ৰ দিবলৈ প্ৰয়াস কৰা হব।

এই খিনিতে উল্লেখ কৰা উচিত যে ফুকন ডাঙৰীয়াৰ জীৱন দুতৰফীয়া আছিল। কৰ্মক্ষেত্ৰত আৰু সভা-সমিতিত তেওঁ আছিল এগৰাকী অগ্ৰগণ্য নেতা আৰু প্ৰথম শ্ৰেণীৰ বক্তা, আৰু মামলা-মোকৰ্দ্দমাত তেওঁ আছিল এজনা আইনজ্ঞ নিপুণ বেৰিষ্টাৰ। মোকৰ্দ্দমাৰ যিকোনো পক্ষৰ লোকেই হওক তেওঁৰ ওচৰ পালে মনত নিৰ্ভয় পাইছিল। সকলো ক্ষেত্ৰতে কিন্তু তেওঁৰ বাগ্মিতা আৰু ৰসিকতা আছিল শ্ৰোতাৰ কাৰণে পৰম উপভোগ্য সামগ্ৰী। তেওঁৰ সুন্দৰ দৰ্শন চেহেৰাটি চাবলৈ আৰু কথাত মৌ-বৰষা ৰসিকতা শুনিবলৈ মানুহ জাওৰ খাই পৰিছিল।

ঐতিহ্যৰ ফালৰপৰা ৰাজনৈতিক বাগ্মিতা ভাৰতীয় সাধনাৰ সামগ্ৰী নহয়। যুক্তি, তৰ্ক, চিন্তা আৰু মননশীলতাৰেহে দূৰ অতীতৰ ঋষি-মুনিসকলৰ মুখৰ পৰাই ভাৰতে সুখ্যাতি লাভ কৰি আহিছে। ৰাজনৈতিক বাগ্মিতা বহু-পৰিমাণে গণতন্ত্ৰৰ দান। আৰু অনেক বছৰ ধৰি ভাৰতত এই প্ৰকাৰ বাগ্মিতাৰ প্ৰচলন হয় পশ্চিমীয়া সভ্যতা বিস্তাৰৰ লগে লগে আৰু স্যৰ সুৰেন্দ্ৰনাথ বেনাৰ্জীয়ে ভাৰতলৈ পোন প্ৰথমে এই বাগ্মিতা আনিছিল বুলি কোৱা হয়। লণ্ডনৰ পৰা [illegible] তেওঁ ভাৰতৰ অতীত গৌৰৱৰ বিষয়ে [illegible] ভাষাত ওজস্বিনী বক্তৃতা দি [illegible] শিক্ষিত যুৱক, [illegible]

পাৰিছিল। সেই অৰ্থত অসমৰ প্ৰথম বাগ্মী বক্তা আছিল তৰুণৰাম ফুকন ভাঙৰীয়া। ফুকনৰ বক্তৃতা শুনাৰ সুযোগ যাৰ ভাগ্যত ঘটা নাছিল তেওঁ ফুকনৰ বক্তৃতাৰ ৰস আৰু মাধুৰ্য্যৰ কথা সম্যকভাৱে উপলব্ধি কৰিব নোৱাৰে। তৰুণৰাম ফুকন আছিল এজন থুলমূৰ সভাশুৱনি পুৰুষ আৰু সেয়ে তেওঁৰ বক্তৃতাৰ পূৰ্ণতা সাধনত ভালেখিনি সহায় কৰিছিল। ইংৰাজী, অসমীয়া, হিন্দী, বঙলা, উৰ্দ্দু আৰু নেপালী এই আটাইকেইটা ভাষাত তেওঁ সৰ্‌সৰী-য়াকৈ ৰসাল বক্তৃতা দিব পাৰিছিল। তেওঁ মাতটোও আছিল মিঠা আৰু গল্‌গলীয়া।

তাহানি কলিকতাৰ প্ৰেচিডেন্সি কলেজত বি এ পঢ়ি থকা কালত তেওঁক এদিন অসমীয়া ছাত্ৰসকলৰ অ. ভা. উ. সা. সভাত বক্তৃতা দিবলৈ দিয়া হৈছিল। বক্তৃতাৰ বিষয় আছিল "অসমীয়াৰ অসমৰ প্ৰতি বৰ্ত্তমান কৰ্ত্তব্য।" সভাৰ সভাপতি আছিল জগন্নাথ বৰুৱা: বি-এ জগন্নাথ। আধা ঘন্টা পৰ অনৰ্গল বক্তৃতা দিয়াৰ পিছত ফুকনে বক্তৃতা শেষ কৰিবহে পালে সভা-পতি জগন্নাথ বৰুৱাই তেওঁৰ বাগ্মিতাৰ ভূয়সী প্ৰশংসা কৰি কলে, 'তৰুণৰ বাকশক্তি অতিশয় প্ৰশংসনীয়, কালত তেওঁ এদিন এজন প্ৰখ্যাত বক্তা হব।' বি-এ জগন্নাথৰ মুখত ফুল-চন্দন পৰিল: তেওঁৰ সেই ভৱিষ্যদ্বাণী আখৰে আখৰে ফলিয়ালে। দেশভক্ত ফুকনৰ গৌৰৱোজ্জ্বল বাগ্মিতাৰ স্বীকৃতিয়ে ইয়াতে সোনতে গজালি মেলে।

(২)

১৯২২।২৩ চনৰ কথা। ফুকনে তেতিয়া দেশবন্ধু চিত্তৰঞ্জন দাস আৰু মতিলাল নেহৰুৱে গঠন কৰা কংগ্ৰেছৰ স্বৰাজ্য দলত যোগদান কৰিছে আৰু দেশবন্ধু চিত্তৰঞ্জন দাসৰ লগত লগ লাগি ভাৰতৰ নানা ঠাইত সভা-সমিতি পাতি গঠনমূলক কাম কৰি ফুৰিছে। মহাত্মা গান্ধীৰ নেতৃত্বত তেতিয়া কংগ্ৰেছে কাউন্সিল বৰ্জনৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল আৰু স্বৰাজ আন্দোলনৰ সময়ত আনকি স্কুল-কলেজ, অফিচ-আদালতত পৰ্য্যন্ত ত্যাগ কৰিবলৈ সকলোকে উপদেশ দিছিল। মতিলাল-চিত্তৰঞ্জন-ফুকনৰ নেতৃত্বত স্বৰাজ্য দলে এই কাউন্সিল বৰ্জন সিদ্ধান্তৰ প্ৰতিকূলে উঠি আইনসভাবোৰ [illegible] [illegible] আৰু [illegible] সাৰ্বিধানিক আৰু [illegible] [illegible] কংগ্ৰেছৰ [illegible] পুনৰ [illegible] [illegible]

পোষকতা কৰিছিল। ফুকনে তাৰে যুক্তি প্ৰদৰ্শন কৰি কৈছিল 'বৃটিছ শাসনৰ সুপ্ৰতিষ্ঠিত প্ৰাচীৰ এটা চুৰমাৰ কৰিবলৈ হলে বাহিৰৰপৰা তাত টুকুৰিয়াই থাকিলেই নহব, কিছুমানে বৈধভাৱে তাৰ ভিতৰত প্ৰৱেশ কৰি তাত ভিতৰৰপৰাও গধুৰ হাতুৰীৰ কোব বহুৱাব লাগিব। ইয়াকে জনসাধাৰণক বুজাবৰ বাবে স্বৰাজ্য দল গঠিত হৈছে।' বস্তুতঃ স্বৰাজ্য দলৰ নেতাসকলে সেই উদ্দেশ্য প্ৰচাৰৰ অৰ্থে নানা ঠাইত সভা-সমিতি, পাতি বক্তৃতা দি ফুৰিছিল।

এদিনৰ কথা। স্বৰাজ্য দলৰ সভা এখন মাদ্ৰাজৰ ওচৰৰ ঠাই এখনত বহিছিল। তাত দেশবন্ধু চিত্তৰঞ্জন দাসে ভাষণ দিব। সভাস্থল জনসমুদ্ৰত পৰিণত হ'ল; কাৰণ সেই সময়ত দেশবন্ধু চিত্তৰঞ্জন দাসৰ চিত্তাকৰ্ষক ভাষণ জনতাৰ বিপুল আগ্ৰহ আৰু উপভোগৰ বস্তু আছিল। পিছে সেইদিনা যথাসময়ত দেশবন্ধুৰ হঠাৎ জ্বৰ আৰু মূৰৰ বিষ উঠিল। সভাস্থলীলৈ তেওঁ যন্ত্ৰণাত চটফটাবলৈ ধৰিলে; তথাপি পিছ হুহঁকিল। জনতাৰ বিপুল হৰ্ষধ্বনিৰ মাজত থিয় হৈ নিজৰ অসুস্থতা আৰু অসমৰ্থতাৰ কথা কৈ বাইজৰ ওচৰত ক্ষমা খুজিলে আৰু লগতে কলে যে তেওঁৰ সহযাত্ৰী বন্ধু, অসমৰ নেতা তৰুণৰাম ফুকনে তেওঁৰ সলনি বক্তৃতা দিব। তেতিয়ালৈ ফুকনক সেই কথা কোৱা হোৱা নাছিল। ঘৰুৱা কথা-বতৰাত ফুকনৰ প্ৰত্যুৎপন্নমতিত্ব আৰু বাকপটুতাৰ ৰসিকতা তেওঁ সঘনে উপভোগ কৰি আছিল, কিন্তু বিৰাট জনতাৰ উদ্দেশ্যে দিয়া তেওঁৰ ভাষণ তেতিয়ালৈ কোনো দিন ভালকৈ শুনা নাছিল। ফুকন উঠিল আৰু তেওঁৰ স্বভাৱসুলভ নম্ৰতা আৰু ৰসিকতাৰে বক্তৃতা আৰম্ভ কৰিলে। তেওঁৰ বক্তৃতাই জনতাক কেতিয়াবা হহুৱাই কেতিয়াবা আবেগৰ চকু-লো টোকাই সভাত বিবিধ ৰসৰ তৰঙ্গ তুলিবলৈ ধৰিলে। যথা সময়ত সভা শেষ হ'ল। জনতা ভাগিল, কিন্তু বক্তৃতাৰ প্ৰশংসা সকলোৰে মুখে মুখে শুনা গ'ল।

দেশবন্ধুৱে ওচৰৰ শিবিৰত চিকিৎসকৰ প্ৰতিবিধান মতে জিৰণি লৈ সভাভঙ্গৰ লগে লগে শিবিৰত ফুকনক আকোৱালি ধৰি তেওঁ ক'লে—'বন্ধু, তুমি মোক ইমান দিনে ফাঁকি দি আছিলা, আজি ধৰা পৰিলা নহয়। আজিৰপৰা তোমাৰ কাম মই কৰিম, মোৰ কাম তুমি কৰিবা। সভা-সমিতি মই পাতিম, বক্তৃতা তুমি দিবা; গঠন মোৰ, ভাষণ তোমাৰ।

(৩)

এইবাৰ ১৯২১ চনৰ কথা। দেশবন্ধু চিত্তৰঞ্জন দাসে বোম্বাই চহৰত ফুকনক মহাত্মা গান্ধীৰ লগত সাক্ষাৎ কৰাই দিলে। ফুকনে মহাত্মা গান্ধীক অসমলৈ নিমন্ত্ৰণ কৰিলে। মহাত্মা গান্ধীয়ে তেতিয়া দক্ষিণ ভাৰতৰ কাৰ্য্য-সূচী হাতত লৈ তালৈ যাত্ৰা কৰিবলৈ ওলাইছিল। তেওঁ সেই কাৰ্য্যসূচী ফুকনক দেখুৱাই সেই সময়ত অসমলৈ আহিবলৈ অসমৰ্থতা প্ৰকাশ কৰিলে। ফুকন কিন্তু সহজে এৰা দিওঁতা মানুহ নহয়। তেওঁ তেতিয়া যুক্তি তৰ্কত নামিল। মহাত্মায়ো তেওঁৰ কাৰ্য্যসূচী বাতিল নকৰে, ফুকনেও নেৰে, যুক্তিৰ উপৰি যুক্তি দিয়ে। ফুকনে কৈছিল—'আপুনি অসম দেখা নাই। আপুনি ইয়াক হয়তো জঙ্গল আৰু ইয়াৰ বাসিন্দাসকলক জঙ্গলী বুলিয়ে জানে। কিন্তু আপুনি আজি যি কেবাজালৈ গৈ খাদী প্ৰচলনৰ কাম আৰম্ভ কৰিব খুজিছে অসমলৈ গৈ গোনতে এবাৰ গৈ তাৰ পুৰণি আদৰ্শ নিজ চকুৰে চাই আহক। দেখিব ই আপুনি ভবা জঙ্গলী দেশ নহয়; অসম নিপুণ শিপি-নীৰ কৰ্মক্ষেত্ৰ আৰু পৰিশ্ৰমী কৃষকৰ বিচিত্ৰ দেশ।' মহাত্মা গান্ধীয়ে তেতিয়া আন কাম কাতি কৰি থৈ অসমলৈ আহিবলৈ বাধ্য হৈছিল আৰু অসমীয়া তিৰোতাৰ বোৱা-কটা দেখি আনন্দত অভিভূত হৈছিল। তেওঁৰ সেই আনন্দ, সেই প্ৰশংসা 'ইয়ং ইণ্ডিয়া'ত প্ৰবন্ধ আকাৰে প্ৰকাশ হৈছিল। সেই কথা-বতৰাতে ফুকনৰ ব্যক্তিত্ব, ফুকনৰ বাকপটুতা আৰু সৰ্ব্বোপৰি ফুকনৰ নেতৃত্ব সম্পৰ্কে মহাত্মা গান্ধীৰ গভীৰ প্ৰতীতি জন্মিছিল আৰু তাক তেওঁ কোনো দিন এৰি দিয়া নাছিল।

সেইবাৰেই মহাত্মা গান্ধীয়ে বিলাতী বস্ত্ৰ'হ যজ্ঞ অসমত আৰম্ভ কৰে। তেতিয়া ইংৰাজ শাসনৰ পূৰ্ণ প্ৰতাপৰ। য'তে ত'তে সভা-সমিতি গুৰা দিছে। গুৱাহাটীত বস্ত্ৰদাহ যজ্ঞৰ প্ৰথম সভাখন জজফিল্ডত ফুকন-ডাঙৰীয়াৰ পতাৰ সিদ্ধান্ত লোৱা হ'ল। মহাত্মা গান্ধীয়ে তাত ভাষণ দিব।

যথাসময়ত সভা বহিল। মহাত্মাই থিয় হৈ প্ৰথমে জনতাৰ প্ৰতি হাতযোৰ কৰি অভিবাদন জনাই বক্তৃতা আৰম্ভ কৰিলে। মহাত্মাই হিন্দীত ক'ব, ফুকনে তাক তৎক্ষণাত অসমীয়ালৈ অনুবাদ কৰে। মহাত্মা উঠিলে ফুকন বহে, ফুকন উঠিলে মহাত্মা বহে। ই এটা মনোমোহা দৃশ্য হৈ পৰিছিল। জনতাই গান্ধীজী আৰু ফুকনৰ জয় ধ্বনি দিলে।

সেই বক্তৃতা প্ৰচাৰ কৰিবৰ কাৰণে তেতিয়া 'মাইক'ৰ ব্যৱস্থা নাছিল ; তথাপি প্ৰতিজন শ্ৰোতাই ফুকন-মহাত্মা গান্ধীৰ বক্তৃতাৰ প্ৰতিটো কথা শুনিবলৈ পাইছিল। তাৰপৰ শেষত মহাত্মা গান্ধীৰ বক্তৃতা অনুবাদ কৰি ফুকনে কৈছিল—'বাইজ', মোৰ বক্তৃতা শেষ হৈ আহিল। আপোনালোকে যদি কেৱল মোক চাবলৈ আহিছে, আৰু মোৰ কথা কেৱল কাণেৰেহে শুনিবলৈ আহিছে, আৰু সেইমতে কাম কৰিবলৈ দৃঢ়প্ৰতিজ্ঞ হবলৈ অহা নাই, তেনেহলে মই কাবৌ কৰি কৈছোঁ আপোনালোকে মোক ইয়াৰপৰা উলটি যাবলৈ দিয়ক।' জনতাই তেতিয়াই তুমুলভাৱে গৰ্জি উঠি কলে—'আপোনাক আমি এনেকৈ যাব দিব নোৱাৰোঁ ; আপোনাৰ কথা আমি শুনিম, আপুনি আমাক যি কৰিবলৈ কয় তাকে কৰিম। কি কৰিব লাগে আদেশ কৰক।'

তাৰে কলাত সভা-স্থলীতে বিৰাট বিলাতী-বস্ত্ৰদাহ যজ্ঞৰ জুই দপ্‌দপ্‌কৈ জ্বলি উঠিছিল আৰু তাহানি জন্মেজয়ৰ সৰ্প-যজ্ঞত চাৰিও ফালৰপৰা সাপবোৰ আহি জুইত পৰাৰ দৰে এই অগ্নি-কুণ্ডলৈও চাৰিও ফালৰপৰা দলিয়াই দিয়া বিলাতী কাপোৰবোৰ উৰি আহি ওপৰা-উপৰিকৈ পৰিছিলহি। এই জুই পিছৰ দিনালৈও জ্বলি আছিল।

তাৰ পিছ দিনা উজান বজাৰৰ নাট্য মন্দিৰত মহিলাসকলৰ বিৰাট সভা বহিল। সেই সভাত দেশনেতা মহম্মদ আলিয়ে উৰ্দু ভাষাত এটা তেজস্বী বক্তৃতা দিছিল। তাতো ফুকন ডাঙৰীয়াই সেই একে তেজ, একে ওজস্বীতাৰে তাৰ ভাঙনি সমবেত জনতাৰ আগত অসমীয়াত দাঙি ধৰিছিল। ইয়াৰ পিছত তেজপুৰ, নগাঁও, আৰু ডিব্ৰুগড়ত বহা সভাবোৰতো একেভাৱে ফুকন ডাঙৰীয়াই মহাত্মা গান্ধীৰ ভাষণ অসমীয়াত তৰ্জমা কৰি শুনাইছিল। তাৰ তৃপ্তি আজিও প্ৰত্যক্ষদৰ্শী শ্ৰোতাই পাহৰিব পৰা নাই।

১৯২৬ চনত বহা কংগ্ৰেছ মহাসভাৰ শেষৰ দিনা, [illegible] সত্ৰাধিকাৰ [illegible] নীলাম্বৰ গোস্বামী প্ৰভুৱে অসমীয়াত 'হিন্দু ধৰ্মৰ মৰ্মাৰ্থ' সম্পৰ্কে এটা বক্তৃতা দিছিল আৰু সেই বক্তৃতা ফুকন ডাঙৰীয়াই [illegible] ইংৰাজীলৈ অনুবাদ কৰি দিছিল। এই ইংৰাজী অনুবাদ আৰু কংগ্ৰেছৰ [illegible] ইংৰাজীৰ [illegible] সৰ্বভাৰতীয় নেতাসকলৰ দৃষ্টি আৰু [illegible] এনেদৰে অসমলৈ দৃষ্টি দিছিল।

(৪)

১২৩৬ চনত কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ বিয়োগত কৰ্জ্জন হলত (আজি-কালিৰ নবীনচন্দ্ৰ বৰদলৈ ভৱনত) স্মৃতি-তৰ্পণৰ বাবে এখন ৰাজহুৱা সভা বহিছিল। তাৰ পৌৰোহিত্যৰ দায়িত্ব অৰ্পণ কৰা হৈছিল ফুকন ডাঙৰীয়াৰ ওপৰত। ফুকনৰ এটা স্বভাৱ আছিল এই যে বেজাৰ-বিষাদ বা চিন্তা-ভাবনাই আগুৰি ধৰিলে তেওঁ ততালিকে বন্দুকটো হাতত লৈ চিকাৰলৈ ওলাই যায়। অধ্যাপক পি. চি. বৰুৱাও তাকেই কৰিছিল। অৱশ্যে ফুকনৰ প্ৰিয় চিকাৰ আছিল—হাতী। সৰুসুৰা জীৱ-জন্তুৰ চিকাৰ আৰু সৰুসুৰা মোকৰ্দ্দমাত ওকালতি কৰা তেওঁ ভাল নাপাইছিল। সেইদিনা তেওঁ ৰাতি পুৱাই বন্দুকটো হাতত লৈ দীপৰ বিল পালেগৈ।

আবেলি দুই বজাত ৰাজহুৱা সভা। সভা বহিল, ফুকন নাই। এঘণ্টা গ'ল, ফুকন নাই। দুঘণ্টা গ'ল, ফুকন নাই। অন্যান্য বক্তাই বক্তৃতা দি সভা প্ৰায় সামৰিব খুজিছে, এনে সময়ত ফুকন ওলালহি। আগৰ বক্তাজনে শেষ কৰাৰ লগে লগে ঘপ্ কৰে তেওঁ থিয় হ'ল আৰু বক্তৃতা আৰম্ভ কৰিলে। দেশভক্ত ফুকনৰ ভাষণ জানো কোনোবাই নুশুনি থাকিব পাৰে? সকলোৱে স্তব্ধ হৈ তেওঁৰ বক্তৃতা শুনিবলৈ ধৰিলে। পোনতে নিজৰ ক্ৰুটী বাককৈয়ে ব্যাখ্যা কৰি তেওঁ বাইজৰ ওচৰত ক্ষমা ভিক্ষা কৰিলে। তাৰ পাছত আহিল ৰসিকতা। ফুকনে নানা ধৰণৰ কথা কৈ ৰসিকতা কৰি সভাৰ ম্ৰিয়মান জনতাক হৰ্ষোৎফুল্ল কৰি তুলিলে। লাহে লাহে হাঁহিৰ ৰোল উঠিবলৈ ধৰিলে। ঢোৰ পাছত ঢৌ বাগৰিল। তাকে দেখি শুনি এগৰাকী বিশিষ্ট সমজুৱাই কলে—'আজি আমি এইখন হাঁহি-ধেমালিৰ সভাত যোগ দিবলৈ অহা নাছিলোঁ।' দুই-এজনে ফুচ-ফুচাই কোৱাকুই কৰিছিল—'কৰ্মবীৰ বৰদলৈ এসময়ত ফুকনৰ প্ৰতিদ্বন্দী আছিল—সেয়েহে হবলা আজি তেওঁৰ মুখৰপৰা শোক উথলোৱা বক্তৃতা নোলাই ৰং-ৰহইচৰ কথা ওলাইছে।' ফুকনে সেইসকলৰ মনৰ ভাব বুজি তৎক্ষণাৎ উত্তৰতে কবলৈ ধৰিলে—'বহুতে হয়তো ভাবিছে এই এনে সভাত [illegible] কথা কোৱা বাবে ফুকনৰ [illegible] [illegible] পাৰে। [illegible] লৈখকে [illegible] [illegible] [illegible] [illegible] [illegible] দিছে [illegible] [illegible] [illegible] [illegible] [illegible] নাই। হিন্দু [illegible] [illegible] [illegible] [illegible] [illegible]—

"ন হন্যতে হন্যমানে শৰীৰে।" আমোমালোকে জানে যে কাম ধৰা শ্ৰাদ্ধা-ৰ্থীজনে দহ দিনৰ দিনা বহা কৰি একুৰু পানীলৈ নামি গৈ কুমৰ-চক এটা লোহা এডোখৰেৰে কোবাই টুবুৰী-টুকুৰকৈ ভাঙে। কিয় ভাঙে? কুমৰ চকটো নো কি? লোহাডালেই বা কি? চকটোৰ ওপৰত আকৌ মৃতকৰ নাম লিখা থাকিব লাগে। সিমানেই নহয়, চকটো তেনেকৈ ভাঙি উঠি আকৌ ডুব মাৰি গা ধুই পানীত নিজৰ ছাটো চাই 'ঈষৎ হস্য' কৰিব লাগে—অৰ্থাৎ অলপ হাঁহিব লাগে। হাঁহিব লাগে কিয়? আমাৰ অল্পস্থায়ী শৰীৰৰ প্ৰতি থকা মায়া-মমতা এনেকৈয়ে পৰিহাৰ কৰি আত্মাই হাঁহে। আমিও হাঁহিব লাগে। আনকি বাৰ্ষিক শ্ৰাদ্ধ কৰোঁতেও শ্ৰাদ্ধ কৰোঁতাই পিণ্ড দিয়াৰ সময়ত পাত্ৰৰ পানীত নিজ মুখৰ প্ৰতিবিম্ব দৰ্শন কৰি 'ঈষৎ হস্যং কৃত্বা' অৰ্থাৎ অলপ হাঁহি লৈহে শ্ৰাদ্ধৰ কাম সমাধা কৰিব লাগে।" এইবোৰ কহিয়াই ব্যাখ্যা কৰাৰ উপৰিও চুৰা কাম বা মুমূৰ্ষু ক্ৰিয়াৰ তিলকাঞ্চন, বৈতৰণী আৰু প্ৰেত শয্যাৰ তাৎপৰ্য্য শ্লোক সহকাৰে ব্যাখ্যা কৰি তেওঁ শ্ৰোতাসকলক তেনেই বিস্ময় বিমুগ্ধ কৰিছিল। ফুকন ডাঙৰীয়াৰ সিদিনাৰ যুক্তিবোৰ শ্ৰুতি-স্মৃতি-গীতা-উপনিষদ আদি শাস্ত্ৰৰ খোজে-খোজে খোৱা উদ্ধৃতিসহ শুনি শ্ৰোতাই তবধ মানি ভেবাৰ দৰে ৰ লাগি চাই আছিল। সেই-দিনা ফুকন হৈ পৰিছিল হিন্দু শাস্ত্ৰৰ ক্ৰিয়া কাণ্ডত পাৰ্গত এজন বহুজ্ঞ দাৰ্শনিক পণ্ডিত। তেওঁৰ যুক্তি ওকৰাবলৈ তেওঁৰ সন্মুখত থিয় হবলৈ কাকো সাহ কৰা দেখা নগৈছিল, অথচ সেই সভা বিৰুদ্ধবাদীয়ে পৰিপূৰ্ণ আছিল।

(৫)

১৯৩১ চনত ডাক্তৰসকলৰ সৰ্বভাৰতীয় চিকিৎসক সন্মিলন গুৱাহাটীৰ জজ ফিল্ডত বহিছিল। তেতিয়া অসমৰ প্ৰধান মন্ত্ৰী (মুখ্যমন্ত্ৰীক তেতিয়া প্ৰধানমন্ত্ৰী বোলা হৈছিল) আছিল স্বৰ্গীয় গোপীনাথ বৰদলৈ আৰু স্বাস্থ্য-মন্ত্ৰী, স্বৰ্গীয় ৰামনাথ দাস। বৰদলৈ অসুস্থ আছিল। তেওঁৰ বদলৈ পাতী কাটিছিল। পতাকা উত্তোলনত বক্তৃতা দিওঁতে পাৰীলগাত হোৱা হুলস্থুল হৰ হৰনি আনকি 'মাইক'টো ভগা গৈছিল। দাস ডাঙৰীয়াৰ বক্তৃতাৰ কথা নোকোৱাই ভাল। নতুন মন্ত্ৰী, তাতে আকৌ দিছিল ইংৰাজীত, ছোৱালীৰ ভাষণ। যোৰহাটৰ কণ্ঠ লিখছিলা জেলৰ হৰৰ তেতিয়াৰা বক্তৃতাৰ মাজতে

ৰৈ যাব খোজে। তাৰ পিছত ভাৰতীয় প্ৰতিনিধিসকলৰ আধৈ-ফুটা ইং-ৰাজী বক্তৃতাৰ অন্তত দেখা গ'ল ডাঃ ঘনশ্যাম দাসে ফুকন ডাঙৰীয়াৰ ওচ-ৰলৈ গৈ কাণে কাণে ২।৩ বাৰ কলে—'ছাৰ, আপুনি আমাৰ হৈ দু-আষাৰ কব লাগে।' ফুকনে সেইদিনা এখন বগা ধুতি, এজোৰ বগা কাপোৰৰ জোতা, বগা মুজা, বগা পাঞ্জাবী পিন্ধি আৰু এখন বগা চেলেং গাত লৈ নিজৰ শুভ্ৰ বৰণেৰে সৈতে সৰস্বতী বন্দনাৰ 'সৰ্ব্বশুক্লা সৰস্বতী'ৰ দৰে হৈ জিলিকি আছিল। 'আঃ, মোক নো কিয় আমনি কৰাহে?...বাৰু' বুলি শেষ বাৰত তেওঁ থিয় হবহে পালে, ভাৰতীয় নেতাসকলৰ মাজৰপৰা চাপৰিৰ বোল উঠিল। তাৰ পিছত প্ৰায় আধা ঘণ্টামান সময় তেওঁ ক'তো অকণো খোকোজাকু নলগাকৈ ইংৰাজীত এনে এটা বক্তৃতা দিছিল যে তাৰ মাজে মাজে শ্ৰোতাৰপৰা কেৱল হাত-চাপৰিৰ আৱাজ আৰু হাঁহিৰ তুমুল হৰ্ষধ্বনি বহু দূৰৰপৰা শুনা গৈছিল। আনকি সামৰণিৰ পিছতো প্ৰায় এমিনিটমান চাপৰি চলিয়ে আছিল। এনেকুৱায়ে আছিল দেশভক্ত ফুকনৰ বাগ্মিতা।

যম ৰজাৰ আদালতত তৰুণ ফুকন

আলোচ্য বিষয়টো আকৰ্ষণীয় আৰু উপভোগ্য কৰিবৰ বাবে বাগ্মী তৰুণৰাম ফুকন ডাঙৰীয়াই নানা কৌশল প্ৰয়োগ কৰিছিল। ধাতু বুজি কল খুউৱাৰ দৰে জনতাৰ মন বুজি লৈহে তেওঁ বক্তৃতা জুৰিছিল। কেতিয়াবা কেতিয়াবা তেওঁ আদালতত উকীলে বাদী বা প্ৰতিপক্ষক জেৰা কৰাৰ দৰে জটিল প্ৰশ্ন তুলি নিজে তাৰ উত্তৰ দিছিল। বাগ্মী ফুকনৰ বাগ্মিতাৰ ইও আছিল এটা কিটিপ বা কৌশল। যম ৰজাৰ বিচাৰালয়ত তেওঁ কি তৰ্ক কৰিব খুজিছিল তাৰ উদাহৰণ তলৰ কাহিনীটোত পোৱা যাব।

১৯২১/২২ চনমানৰ কথা। ব'হাগ মহীয়া দিন। মঙলদৈ অঞ্চলত দেউল উৎসৱবোৰ হৈ আছে। মানুহে ৰংচঙীয়া কাপোৰ পিন্ধি দেউল চাবলৈ যায়। সেই দিনা আছিল বড়াচন্দনৰ দেউল। ইফালে তাৰ অনতিদূৰৰ আৰেঙ্গি চিৰাখোৱাৰ চোকাত ৰাজহুৱা সভা। তৰুণ ফুকন আৰু নবীন বৰদলৈয়ে তাত স্বৰাজৰ বক্তৃতা দিব। চাৰিও ফালৰ লোকে গৈ সভা স্থল ভৰি পৰিছে। দেউলৰ মানুহেও দেউল চাবলৈ এৰি সভাৰ জনতাত যোগ দিছেহি। লোকে লোকাৰণ্য। সভাৰ মাজত থিয় হৈ অন্ধৰা তকেলী নামৰ বুঢ়ী এজনীয়ে নাচি নাচি গীত গাই ফুৰিছে—

দেখেই অসমীয়া ভাই
কিয়া শুৱেই আছাহ ভাই
কাম কৰিছে গান্ধীৰজা গায়।
তৰুণ ফুকন নবীন দলৈ
দুজন ঘূৰেই সূতা কাটেই
অপানিয়ো খবৰ পোৱা নাই।
নিজে সূতা কাটি লও
নিজৰ আহুৱাৰ দিবো ধন
বিদেশী কাপোৰ দূৰে যায়।

তৰুণ ফুকন নবীন বৰদলৈ'ই
গাছৰ তলত মেল কৰেই
স্বাধীনতা তেওঁ আহা নাই;
মতা-মাইকী এক হলে
হাতে-কামে লাগি গলে
স্বাধীনতা হাতে হাতে পায়॥

অশ্ৰদ্ধা বাইৰ গীত ল'ৰা-ছোৱালীয়ে শুনি ৰং পায়। স্বাধীনতাৰ কামত ভলণ্টিয়াৰ সাজি ঘুৰি ফুৰা বাবে তেওঁক সকলোৱে অশ্ৰদ্ধা পাগলী বোলে। সেইদিনা অশ্ৰদ্ধা বাইৰ গীত শেষ নোহওঁতে সদলবলে গৈ ফুকন আৰু বৰদলৈ সভাস্থল পালে। 'বন্দে মাতৰম্'; 'জয়, মহাত্মা গান্ধীৰ জয়'— ধ্বনিয়ে গগন-পৱন কঁপাই তুলিলে। প্ৰথমে নবীনচন্দ্ৰ বৰদলৈ ভাওৰীয়াই বিৰাট জনতাক উদ্দেশ্য কৰি গুৰু-গম্ভীৰ ধ্বনিত ওজস্বিনী বক্তৃতা আৰম্ভ কৰি দিলে। আধা ঘণ্টামান বক্তৃতা চলিল। উপস্থিত ৰাইজে বক্তৃতাৰ মাজে মাজে মানুহে হাত চাপৰি বজালে; কিন্তু বিলাতী-বস্ত্ৰদাহ বৰ্জনলৈ কৰা তেওঁৰ আকুল আহ্বান বিফল হ'ল। কোনেও একো সঁহাৰি নিদিলে। বক্তৃতা শেষ হোৱাত ৰাইজৰ মাজত কথা-বতৰাৰ গুণ্‌গুণনি উঠিল।

তাকে দেখি জনতাৰ কোলাহলৰ মাজতে দেশভক্ত তৰুণৰাম ফুকনে বক্তৃতা আৰম্ভ কৰিলে। ফুকনৰ অমৃতবৰ্ষী ভাষণ শুনিবলৈ ৰাইজ নিস্তব্ধ হ'ল। শেষত ফুকনে ব্যঙ্গচ্ছলে হাঁহিউঠা কথাৰে জনতাৰ মাজত হাঁহিৰ কলধ্বনি তুলিলে। মঙলদৈয়া মাতকথা মাতি, মঙলদৈয়া কথা কৈ জনতাক আমোদ দিলে। তাৰ পিছত আৰম্ভ কৰিলে, "ৰাইজ, আপোনালোকে আমাৰ বৰদলৈ ভাওৰীয়াৰ বক্তৃতা শুনিলে। তেওঁৰ আকুল অনুৰোধলৈ কৰ্ণপাত নকৰিলে। তেওঁৰ কথা আপোনালোকৰ ইমান কাণেদি সোমাই শিৰলৈদি ওলাই গ'ল যেন পাইছোঁ। আপোনালোকে ভাবিছে হ'বলা আমি দুয়ো উকীল মানুহ, সেইবেলি আমাৰ দুই দিনা ওকালতি কৰিবলৈ ইয়ালৈ আহিছোঁ। পিছে ওকালতি [illegible]। [illegible] বাচিছে বাবে, পানী [illegible]। [illegible] ৰাখিছু, [illegible]-

হত্যাৰ গোচৰতহে যে ফুকন-ৰৰদলৈয়ে ৰচাৰ লাগে এনে নহয়, যমৰজাৰ বিচাৰ-আলয়তো এদিন আপোনালোকে তেওঁলোকক ধৰিব লাগিব। আমাৰ আইনৰ জ্ঞান আমি তাতো এদিন খটাব লাগিব। আপোনালোকে আজি বিলাতী কাপোৰৰ বস্ত্ৰদাহ যজ্ঞত আহুতি দিবলৈ এতিয়ালৈ কোনো লোকাই আগবাঢ়ি অহা নাই। নাহিল নাই, ভাল কথা; আমি আপোনালোকক জোৰ নকৰোঁ। নালাগে আহিব। পিছে, বৰদলৈ-ফুকনক পিছত আপোনালোকে নোদোষিব। জানেনে—আপোনালোক সকলোৱে এদিন মৰিব; নমৰিব জানো? বৰদলৈ-ফুকনো এদিন মৰিব। মৰাটো সকলোৰে ধৰ্ম। আনকি ভগবান কৃষ্ণও এদিন বৈকুণ্ঠী হৈছিল। সেইদৰে মহামানৱ মহাত্মা গান্ধীও এদিন স্বৰ্গী হ'ব। আপোনালোকে ভাবেনে মহাত্মা গান্ধী এজন সামান্য মানুহ? মানুহৰূপে তাহানি ভগৱান কৃষ্ণও এদিন পৃথিৱীত অৱতীৰ্ণ হৈছিল। তেওঁ অৱতাৰ হৈ জন্মিছিল—কৃষ্ণ অৱতাৰ। তেওঁৰ কথা যিসকলে শুনিছিল তেওঁলোক স্বৰ্গগামী হৈছিল আৰু যিবোৰে নুশুনিলে সেইবোৰৰ কি হৈছিল জানে নে? শাস্ত্ৰ পঢ়াসকলে জানে—সেইবোৰ সাগৰত ডুবি মৰিছিল। যাৱকাত কৃষ্ণৰ কথা নুশুনা লোকবিলাকক যমে নি সিপুৰীত তো শাস্তি দিছিলেই—ইপুৰীতো হাড়ীত খোৱা বোন্দাক পানীত ডুবিওৱাৰ দৰে সাগৰত ডুবাই প্ৰাণ কাঢ়ি নিছিল। মহামানৱ মহাত্মাও শ্ৰীকৃষ্ণৰ দৰে ভগৱানৰ এটি অৱতাৰ। তেওঁৰ কথা নুশুনাসকলৰ কি গতি হ'ব জানেনে? মৰাৰ পাছত যমপুৰীলৈ গ'লে যমৰজাই সিহঁতৰ জীউবোৰৰ বিচাৰ আৰম্ভ কৰিব। তাত চিত্ৰগুপ্তই হাতত হিচাবৰ বহী লৈ কেৰাহিকৈ চাই থাকিব —ক, [illegible] কম [illegible] কম। মিছা কলেও ধৰা পৰিবি, হিচাবৰ বহী মোৰ হাতত আছে। আমাৰ যমৰজাই যে [illegible] মহাত্মা গান্ধী [illegible] [illegible] পঠাইছিল তেওঁক [illegible] দেখিছিলি নে?—আৰু উত্তৰ আপোনালোকৰ মুখত কব, 'হয় দেখিছিলোঁ।' 'এবা নাই, বাৰু, তেওঁৰ বাণী, তেওঁৰ [illegible] শুনিছিলি নে?' আপোনালোকে [illegible] —শুনিছিলোঁ। [illegible] কব—আমি [illegible] নাছিলোঁ। [illegible] [illegible] সেই বাণী [illegible] নে?—কোনোৱেই [illegible] শুনিছিলোঁ। [illegible]

[illegible]

শুনা নাছিল। মহাত্মাৰ বাণী আমি দুয়ো ছিপাঝাৰলৈ গৈ তাৰ চিৰাখোৱাৰ চৌকাত মিটিং কৰি এওঁলোক সকলোকে বুজাই কৈছিলোঁ; আমাৰ কথা এওঁলোকে নুশুনিলে; বিলাতী বস্ত্ৰদাহ যজ্ঞত কোনেও আহুতি নিদিলে। তেতিয়া যমৰজাই তোমালোকৰ হাত-ভৰি-চকু-নাক-কাণ আদি ইন্দ্ৰিয়বোৰক সুধিব—তোমালোকে কোৱাচোন—কোন সঁচা। ফকন-বৰদলৈ নে তোমালোকৰ জীউবোৰ? —সিহঁতে তেতিয়া কব—হজুৰ, ফুকন-বৰদলৈ। —তেতিয়া কিন্তু আপোনালোকক বচাওতা নোলাব। সেই বিচাৰত ৰক্ষা নাই। শাস্তি কি হ'ব যমৰজাইহে জানে। আজি এইফেৰা ক্ষুদ্ৰ স্বাৰ্থ ত্যাগ কৰিব নুখুজিলে কিন্তু আপোনালোকৰ ইহকাল-পৰকাল দুয়োটায়ে যাব। সেই দেখি শাস্ত্ৰৰ বাণী শুনাই পুনঃ আমি কওঁ—বোলে, 'আপোন দোষে মৰে চোৰা বিৰাটৰ ভাই; ডাক দিয়া ভীমে কয়—মোত দোষ নাই।'

বন্ধুসকল, আজি ইংৰাজৰ গোলামিকে ভাল বুলি ভাবি আমি নিজৰ স্বাধীনতা বিসৰ্জ্জন দিছোঁহঁক। কুকুৰে গিৰিহঁতৰ বোৱা-বোৱা পাতত এৰাখিনি খায়ে স্বৰ্গসুখ অনুভৱ কৰে; গাধই পৰৰ তিৰোতাৰ মেখেলাৰ ভাৰ কঢ়িয়ায়ে আৰামত থকা বুলি ভাবে। আমিও আজি তেনে কৰিব লাগিছোঁ। বিলাতী কাপোৰবোৰ কলৰ বিলাতী কৰ্ম্মচাৰী আৰু বণুৱাবোৰে আজি কাপোৰ বেচি আমাৰ পৰা লাখে লাখে টকা ঘটিব লাগিছে। আমি হাঁহিমুখে সিবিলাকলৈ টকা পঠিয়াব লাগিছোঁ। আগৰ যুগত আমাৰ কোনেনো বিলাতী কাপোৰ পিন্ধিছিল? আজিয়েই আপোনালোকক মই আপোনালোকৰ গাৰ সকলোবোৰ বিলাতী কাপোৰ জুইত জাপি দিবলৈ কোৱা নাই আৰু নকওঁ। তাকে কৰি আপোনালোক লেংটা কৰিব হৈ ঘৰলৈ যাব নালাগে। গাত থকা দুই এফোৰন বিলাতী কাপোৰ জুইত জাপি দি অথবা [illegible] কৰি ইয়াকে মাত্ৰ মনে মনে প্ৰতিজ্ঞা কৰক যে ভৱিষ্যতে বাই-ভনী আই-বুঢ়ীমাই বা বৈণীয়েকে সূতা কাটি বৈ দিয়া কাপোৰহে ব্যৱহাৰ কৰিব। তেওঁলোকে [illegible] নিজেই সূতা কাটি কাপোৰ বৈ লব।" মহাত্মা গান্ধীয়ে নিজহাতে অহৰহ সূতা কাটি থাকে। "তেওঁৰ" [illegible]—'যুঁজ [illegible] [illegible]

[illegible]

যই মোৰ হাতত লৈ অহা এই ছাতিটোকে পুৰি ৰত্নদাহ আৰম্ভ কৰিলোঁ, চাওঁক !'

এই বুলি ফুকন ডাঙৰীয়াই নিজৰ হাতত থকা ছাতিটোত জুই লগাই দিলে। জুই জ্বলি উঠিল। ৰবদলৈ ডাঙৰীয়ায়ো তাতে তেওঁৰ কম্বলখন আৰু ছাতিটো জাপি দিলে। তাৰ পিছত ৰাইজৰ্বৰ্গে সেই জুইত বহুতে নিজৰ নিজৰ ছাতিবোৰ জাপি দিলে। তাৰ পিছত কিছুমানে গাত পিন্ধা পথৰা চোলা, গেঞ্জি আদিবোৰো দলিয়াই জুইত পেলাই দিলে। ৰত্নদাহ যজ্ঞৰ জুই দপ্ দপকৈ জ্বলি উঠিল। ফুকনে তেতিয়া—'জয় মহাত্মা গান্ধীৰ জয়; জয় ভাৰত মাতাৰ জয়; বন্দে মাতৰম' ধ্বনি লগাই দিলে। ৰাইজে তাকে দোহাৰিলে। এইদৰে সভাভংগ কৰি ভুবোজন-নেতা আহোঁতালৈ উভতিল।

বাটত ৰবদলৈয়ে হেনো ফুকনক কৈছিল—আপোনাৰ ওকালতিতহে আজি আমাৰ মোকৰ্দ্দমা জয় হ'ল। ফুকনে কলে—চল চাই কঠীয়া নাপাৰিলে নচলে। এইবোৰ মানুহে পৰকালৰ কথা বেছিকৈ ভাবে; পৰকালত বিপদ হ'ব বুলি শুনিলে ভয় কৰে। এওঁলোকে যমৰজাৰ বিচাৰলৈ যিমান ভয় কৰে ইংৰাজ ৰজাৰ কাৰেঁকলৈকো সিমান ভয় নকৰে। সেই কাৰণে তেওঁলোকক সেই আদালতলৈ নি তাত ওকালতি কৰিহে আমি মোকৰ্দ্দমাত জিকিলোঁ। সে কি কয়?—

জুয়ো হাহিলে। প্ৰাণ পুনি হাহিলে।

কানি বেপাৰীৰ মোকৰ্দ্দমাত বেৰিষ্টাৰ ফুকন

ইমানলৈকে আমি দেশভক্তৰ ৰাজহুৱা সভাত দিয়া বক্তৃতাত প্ৰকাশ পোৱা বাগ্মিতাৰ চানেকী দিলোঁ। তলৰ সত্য কাহিনী দুটাত আদালতত তেখেতৰ ওকালতিৰ বাগ্মিতাৰ এটি আভাস পোৱা যাব।

বিপদ উপস্থিত হলেই বহুতে গণেশ দেৱতাক সঘনে স্মৰণ কৰে। ডাঙৰ মোকৰ্দ্দমাত জড়িত হোৱা পক্ষীয়াসকলেও অসমত এদিন পৰিত্ৰাণৰ কাৰণে ফুকনৰ নাম স্মৰণ কৰিছিল আৰু সহায়ৰ কাৰণে তেওঁৰ ওচৰ চাপিছিল।

এবাৰ মঙ্গলদৈৰ ধনী মাৰোৱাৰী এজন কানি-বেপাৰীৰ মোকৰ্দ্দমাত পৰিল। মঙ্গলদৈ দৰং জিলাৰ মহকুমা আৰু দৰঙৰ ডেপুটী কমিছনাৰ আছিল তেতিয়া ৰাকাৰ চাহাব: সম্পূৰ্ণ নাম জৰ্জ ডেভিদ ৰাকাৰ। তেওঁৰ মেজাজটো আছিল খিট্‌খিটীয়া বিধৰ। কাজেই অলপতে চিঙিচ্‌কৈ খং উঠে, অলপতে বিৰক্তি পায়। এই মোকৰ্দ্দমাটোৰ বিচাৰ তেওঁ নিজে ললে আৰু বিচাৰৰ দিন ধাৰ্য্য কৰি বিচাৰৰ বাবে স্থান দিলে ঘটনাস্থলীৰ ওচৰৰ ওডালগুৰি ডাকবঙলা। সেইটো কৰাৰ উদ্দেশ্য হ'ল— মঙ্গলদৈ আদালতত বিচাৰ হলে ধনী মাৰোৱাৰীয়ে সহায় কলহে কলহে ধন ঢালি তাৰ আটাইবোৰ উকীল-মুক্তিয়াৰকে তেওঁৰ পক্ষত হাজিৰ কৰায়। ৰাকাৰ চাহাবে আকৌ মোকৰ্দ্দমাত উকীল-মুক্তিয়াৰ ধৰা ভাল নাপাইছিল আৰু তেওঁলোকক ইণ্ডিকিং কৰিছিল।

মোকৰ্দ্দমাৰ বিচাৰৰ দিন আহি পোৱাৰ আগতে ওডালগুৰিৰ [illegible] ডাক বঙলা ৰাকাৰ চাহাবৰ কাৰণে অস্থায়ীভাৱে বন্ধ হ'ল। পক্ষীয়াৰ উকীল আছিল বেৰিষ্টাৰ ফুকন। ফুকনৰ কাৰণে মাৰোৱাৰীয়ে অজস্ৰ ধন খৰচ কৰি চকুত লগাকৈ তম্বু তৰাই দিলে। নিৰ্দিষ্ট দিনত [illegible] ডেপুটী কমিছনাৰ চাহাবে তেজপুৰৰ পৰা আহি ডাক-বঙলাত [illegible]। ফুকন থাকিল তম্বুত।

পিছদিনা বাতিপুৱা এখাৰ বজাৰ পাছতো ডাকবঙলাত বিচাৰক একো টুমধাম হোৱা নাই বুলি শুনি বাৰ বজাত ফুকনে নিজে তাতে খোজ ললে। চাহাবক দেখি তেওঁ দূৰৰ পৰাই শিষ্টাচাৰ নমস্কাৰ জনালে। চাহাবেও প্রতিনমস্কাৰ জনাই কলে—আহক, আপোনাৰ কাৰণে মই বাৰু কি কৰিব পাৰোঁ? মোৰপৰা আপুনি কি বিচাৰে? What can I do for you?

ফুকনে কলে—ধন্যবাদ। মোক অইন একো নালাগে; মাত্র আজি ইয়াতে এটা মোকৰ্দ্দমা আছিল—আপোনাৰ আদালতত। মই তাৰে পক্ষ-কাৰীৰ হাবে ওকালতি কৰিবলৈ নিযুক্ত হৈছো। মোকৰ্দ্দমাটো আপুনি কোন সময়ত লয় খুজিছে তাকে বুজ লবলৈ আহিলোঁ। তাকে পালেই মোৰ হ'ব, আন একো নালাগে সম্প্রতি।

চাহাবে তেতিয়া বাহিৰৰ বাৰাণ্ডাত বহি 'পাইপ' হুঁপি আছিল। তেওঁ গহীনাই কলে—ডাঙৰীয়া, দেখিছে নে, মই এতিয়াও পোচাক পিন্ধা নাই?

—হয় দেখিছোঁ। দেখিয়ে তো সুধিছোঁ, যেতিয়া তেতিয়াই আপুনি পোচাক পিন্ধিব খুজিছে। অনুগ্রহপূর্বক তাকে কৰিলে আমি দুয়ো আমাৰ নিজ নিজ কৰ্তব্যৰ ক্রিয়া সমাপন কৰিব পাৰো—নহয় জানো?

চাহাবে ফুকনৰ এনে প্রশ্নবোধক উত্তৰৰ পা বিচি মোৰা কথাত অসন্তোষ পালে হবলা। তেওঁ ভাবিলে—এই দেশীয় উকীলজন দেখো এজন নামৰ হবে নহয় দেখোন। তেওঁ তেতিয়া হঠাতে কলে—বাৰু মই আদালতলৈ গৈ হলে খবৰ পঠিয়াম। আপুনি এতিয়া যাওক, অনুগ্ৰহ কৰি।

তাৰে ১৫/২০ মিনিটমান পাছতে ফুকনলৈ চাহাবে খবৰ দি পঠালে—মোকৰ্দ্দমা তেওঁ শুনিবলৈ তৈয়াৰ হৈছে, তেতিয়া-তেতিয়াই শুনিব। ফুকন গ'ল। তেওঁৰ পক্ষকাৰী উকীল ফুকনৰ লগতে তেওঁৰ পাছে পাছে গ'ল।

তেওঁলোকে দেখে—চাহাবে তেওঁ গৌৰৱৰ সৈতে আসনত বহি আছে, তেওঁৰ কাষত তেওঁৰ এজন চকী। এইদৰে চাহাব গম্ভীৰ হৈ আছে। [illegible]

[illegible]

[illegible]

চাহাবে উত্তৰ দিলে—দেখিছেই দেখোন, ইয়াত বৰ বেছি ঠাই নাই।

ফুকন—হয়, নাথাকিবই তো! ডাকৰখানাবোৰ তো আদালত কৰিবৰ কাৰণে তৈয়াৰ হোৱা নাছিল! মঙ্গলদৈত এই মোকৰ্দ্দমা লোৱা হলে—কাৰো এনে দুৰ্গতি নহলহেঁতেন। যি হওক, যি পোৱা গৈছে তাৰে আমি সদ্ব্যৱহাৰ কৰা উচিত।

ইয়াকে কৈ তেওঁ চিয়ঁৰি হুকুম দিলে—চকিদাৰ, চকী এখন ইয়াতে পাৰি দে। তৎক্ষণাৎ।

ওচৰতে থিয় হৈ থকা চকিদাৰে তুৰন্তে গৈ চকী পাৰি দিলে। ফুকন বহিল, আৰু তেওঁৰ লগতে যোৱা বুঢ়া উকীল এজনকো বহিবলৈ মাতিলে। তাতে চাহাবে মাত দিলে—নহব নহব, ইয়াত আৰু আন কাৰো কাৰণে জাগা নহব।

চাহাবে লগে লগে কলে—চাও, দিয়ক আপোনাৰ ওকালতনামা দেখুৱাওক।

ফুকনে কলে—মই ইংৰাজ উকীলসভাৰ অন্তৰ্ভুক্ত সদস্য। মোৰ ওকালতনামাৰ প্ৰয়োজন নাই।*

চাহাবে কলে—ভাতৰীয়া, সেইটো মোৰ আদালতত নাখাটিব। আপুনি হয় ওকালতনামা দেখুৱাওক, নহয় ওকালতি কৰাৰপৰা বিৰত থাকক। ওকালতনামা নাদিলে মই আপোনাক এই মোকৰ্দ্দমাত উঠিব নিদিওঁ।

ফুকনে দেখিলে বেয়া পেচ লাগিল। চাহাবে কথাটো ঘুলিয়ে এইখন বৰ-মাচি কৰিব খুজিছে। তেওঁ তেতিয়া সহীনক কলে—ঠিক আছে, সেয়ে যদি হয়, মই অজ চাহাবলৈ এই মোকৰ্দ্দমা স্থগিত ৰাখিবলৈ এতিয়াই টেলিগ্ৰাম কৰিম, আপুনিও তেতিয়া বন্ধ ৰাখক।

চাহাবে খন্তেক টকা মাৰি ভাবিলে—কি যদিহে! এইটো দেখোন বেলেগ ধৰণৰ লোক। আগতে তো এনে ধৰণৰ লোক কৰিবত কৰো দল পোৱা মোৰ মনত নপৰে। ই কম লোক নহয়। চেঁচ হৈ উঠিল—দেখিছো, আপুনি খালি খাবচান কথা তুলিব কৈছে ৰৈ আছিছে এনেকুৱা।

লগে লগে ফুকনে উত্তৰ দিলে—সেয়া দেওঁচাচাকে লৈছো।

---

* I am a member of the English Bar. [illegible] quired to file a Vakalatnama. [illegible]

চাহাব—ঠিক আছে বাৰু। ময়ো কিন্তু আজি মোকৰ্দ্দমা খটম কৰিহে এৰিম। মোকৰ্দ্দমা আৰু চুচৰিব নিদিওঁ।

ফুকন- আমাকো তেনে বিচাৰহে লাগে।

চাহাব—আপুনি বাৰু ওকালতনামা আজি নিদিলেও হব। সেইটো মই বেহাই দিলোঁ। এতিয়া আপোনাৰ বক্তব্য কি কৈ যাওক।

বিচাৰ আৰম্ভ হ'ল। ফুকনে সাক্ষীক জেৰা কৰিব ধৰিলে চাহাবে শুনি আছে কিন্তু একো লিখা নাই। ফুকনে ভাবিলে—ইংৰাজীত নোহোৱা বাবে চাহাবে একো লিখিব পৰা নাই। তেওঁ তেতিয়া সব সৱীয়াকৈ ইংৰাজীত শ্ৰুতলিপি দিলে। তথাপি চাহাবে নিলিখে। ফুকনে কলে—এইটো লিপিবদ্ধ হব লাগে; ইয়াত আইনৰ আৱশ্যকীয় কথা লোমাই আছে।[1]

চাহাবে কলে—আপুনি যিহকে লাগে বোলে তাকে মই লিখিম নে? মই যিহ লিখিব লাগে লিখিম, আপুনি কৈ যাওক।

ফুকনে কলে—আপুনি নিলিখোঁ বুলিলে নো মই কি কৰিব পাৰো? কাৰণ, কলম আপোনাৰ হাতত হে আছে। কিন্তু আমি সেই মৰ্ম্মে আপুনি নিলিখাৰ কথা কৈ এতিয়া এই মুহূৰ্ত্ততে এখন আপত্তিৰ দৰখাস্ত দাখিল কৰিম, আপুনি তাক নথিত ৰাখিবলৈ বাধ্য। আমি সকলোৱে চহী দিম আৰু সেইখনতে ধৰি পিছত আমি যি কৰিব লাগে কৰিম।

চাহাব থিয়োৰত পৰিল। বিৰক্তিৰ সুৰত তেওঁ কলে—আপুনি ধৈৰ্য্য অথবা মৈত উঠা বিধৰ মানুহ।[2] বাৰু কৈ যাওক—লিখিম। তেতিয়া ফুকনে [illegible] আৰু চাহাবে লিখিলে। কেতিয়াবা লিখি উঠি [illegible] ফুকনৰ [illegible] তেওঁ [illegible]—এইবা হৈছেনে? ফুকনে [illegible]—হয়, ঠিক [illegible] বঢ়িয়া হৈছে।

এতিয়া তুৰ্কৰ সময় আহিল। ফুকনে কলে—আজিয়েই মোৰ তৰ্ক শেষ কৰিব খোজো, আপুনি অলপ ধৈৰ্য্য ধৰি শুনিবলৈ হব।

চাহাবে কলে—আকৌ তৰ্ক কিয়? তৰ্ক [illegible]। আপুনি [illegible] নাম 'ফাইল' লৈ ৰাখি যাওক। তৰ্কৰ একো প্ৰয়োজন নাই।

1 I want that down, your Honour. There is a fine legal point here for argument.

2 [illegible]

ফুকনে তৰ্ক কৰিব খোজে, চাহাবে শুনিব নোখোজে। এনে বাদানুবাদত কিছু পৰ গ'ল। তেতিয়া ফুকনে কলে—এই মোকৰ্দ্দমাত আইনৰ ফালৰপৰা আপোনাক দেখুৱাবলগীয়া বহুত কথা আছে; আপুনি নাচাও বা শুনো বুলিলে নহব। বিচাৰক হৈছে যেতিয়া আইনতঃ আপুনি সেইবোৰ শুনিবই লাগিব—(You are bound under the law to hear the arguments).

চাহাবে তেতিয়া—বাৰু, তৰ্ক কৰি যাওঁক (All right, argue) বুলি কলে আৰু জেপৰপৰা পাইপটো উলিয়াই জলাই ললে আৰু ফুকনে তৰ্ক আৰম্ভ কৰাৰ লগে লগে তেওঁ দীঘল বাৰাণ্ডাটোত ভৰিৰ পৰা শিমূৰলৈ টহল দিবলৈ ধৰিলে। নিৰুপায় হৈ ফুকনে কলে—আপোনাৰ শ্ৰৱণত বহায় কৰিবলৈ মই আপোনাৰ কাষে কাষে কৈ যাম নেকি?

চাহাবে একো নভবাকৈয়ে 'ও' বুলি কবহে পালে, ফুকন গৈ চাহাবৰ ওচৰ পালে আৰু চাহাবৰ সমানে সমানে খোজ দিলাই, চাহাবৰ দৰে খোজ কাঢ়ি কাঢ়ি ফৰফৰাই ইংৰাজীত যুক্তি-তৰ্কবোৰ কৈ যাবলৈ ধৰিলে। ফুকনৰ তেনে কাৰ্য্য দেখি জলত বহি থকা উকীল-মুক্তিয়াৰসকলে গিৰ্জনি মাৰি হাঁহি উঠিল।

চাহাবে তেতিয়া কথাৰ গুৰুত্ব বুজিয়ে নেকি—আকৌ চকীত বহি পৰিলহি। ফুকনে তেতিয়া থিয়ৈ থিয়ৈয়ে তৰ্ক কৰিলে, আদালতৰ ৰীতি অনুসৰি থিয়ৈ থিয়ৈ।

মোকৰ্দ্দমা শেষ হ'ল। ফুকন গ'ল। উকীল-মুক্তিয়াৰ আৰু উপস্থিত জনতাও যথাযথি গ'ল। বিচাৰক মাৰোৱাৰীক ডেপুটী কমিছনাৰ চাহাবে খালাচ দিলে।

সেই বিচাৰৰ হুকুমত ৰাঁকাৰ চাহাবে লিখিছিল—কোনো এজন টি. আৰ. ফুকনে পৰৱীয়াৰ পক্ষ সমৰ্থন কৰি ওকালতি কৰিছিল (One T. R. Phookan appeared for the defence.)

ফুকনে সেই হুকুমৰ 'নকল' এটা কৰিছনাৰ চাহাবলৈ পঠাই লিখিলে যে এই হাকিমজনে ভদ্ৰতা শিকা উচিত, তেওঁ জনা উচিত যে টি. আৰ. ফুকনৰ নামৰ আগত শ্ৰীযুত বা মিষ্টাৰ দিয়া এটা লিখিব লাগে।

কমিছনাৰ আছিল তেতিয়া বেন্টিঙ্ক্ চাহাব। বেন্টিঙ্ক্ চাহাবে ফুকনৰ এই কাকত পাই ৰাকাৰক ফুকনৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিবলৈ নিৰ্দেশ দিলে। উপায় নাপাই ৰাকাৰে ফুকনলৈ লিখিলে—'কমিছনাৰ চাহাবে ক্ষমা খুজিবলৈ কোৱাত মই ক্ষমা খুজিলোঁ। (The Commissioner wants me to apologise to you and I, therefore, do so.)

ফুকনে পুনঃ কমিছনাৰলৈ তাৰে নকল এটা পঠিয়াই দি—ই একো ক্ষমা চোৱা (apology) নহ'ল বুলি লিখি লগতে লিখিলে—যে তেওঁ (ৰাকাৰে) কোৱা উচিত আছিল যে তেওঁ তেনে ব্যৱহাৰৰ কাৰণে দুঃখিত।

ৰাকাৰ চাহাবে এইবাৰ ফুকনলৈ লিখিলে—আপুনি মোৰ ক্ষমা ভিক্ষাত তুষ্ট হোৱা নাই বুলি শুনিলোঁ। অনুগ্ৰহ কৰি আপোনাক কেনে 'এপলজি' লাগে তাৰে এটা খচৰা মোলৈ লিখি পঠিয়াব নে? মই তাক দিলংখোলাকে চহী দি পঠাম।

এইবাৰ ফুকন নৈমান হ'ল।•

• ইয়াত প্ৰত্যক্ষদৰ্শীৰ বৰ্ণনাৰ লগত শ্ৰীসত্যেন্দ্ৰনাথ বৰকটকীদেৱৰ 'হাকিমৰ টিঘিলঘিলনি' লগ লাগিছে। বৰকটকীদেৱলৈ গ্ৰন্থকাৰৰ শ্ৰদ্ধাপূৰ্ণ স্বীকৃতি থাকিল।

—×—

ভূধৰ পণ্ডিতৰ মোকৰ্দ্দমাত ফুকন চাহাব

আঢৈ কুৰিমান বছৰ আগৰ কথা। জহ কালি। বাৰিষাৰ দিন। ৰাতিপুৱা খোকমোকালিতে উঠি ফুকন ডাঙৰীয়াই আঁঠুৰ ওপৰলৈকে ধোৱা বগা জাঙিয়াটো পিন্ধি বঙলাৰ সন্মুখৰ ঘাঁহনিখনত টহল দিছে। এনেতে তেওঁ দেখিলে ব্ৰহ্মপুত্ৰৰ পানীৰ যুঁৱলিৰপৰা পাৰলৈ এজন মানুহ উঠি আহিব লাগিছে। মানুহজন আটিল, আদহীয়া, নোদোকা; সুদা ভৰি, মূৰত এটা পাগুৰি আৰু কান্ধত এখন জাপি। তেওঁৰ হাতত এখন দীঘলনলীয়া দা। যাথন মাজে মাজে খিয়কৈ টোকনৰ দৰে লয়; মাজে মাজে হাতত ওলোমাই ধৰে। চকচকীয়া চোকা দা, দেখিলেই ভয় লাগে।—মানুহটোৱে টি-টি কৰে ফুকনৰ হাউলীৰ ফালে টোঁৱাই অহা দেখি ফুকনে গহীনকৈ চিঞৰি কলে, 'হেই, তই কোন? বলিয়াই নে বটীয়াই? মোৰ টোলত নোসোমাবি—তাতে থিয় হ। তোক কি লাগে? ক'ৰ মানুহ?'

মানুহটোৱে কলে—"দেউতা, মই খিপৰত পৰা মানুহ। বহুত দূৰৰপৰা আহিছোঁ। বলিয়া নহওঁ; মই আপোনাক লগ পাব লাগে। ওৰে ৰাতি বাট বুলি আহিছোঁ, দেউতা।"

—ক'ৰপৰা আহিছ?

—শিপাজৰ ৰবং মঙ্গলদৈৰ বিজুলীখাৰী গাঁৱৰপৰা।

—ঠিক আছে বাৰু। তোৰ সেই দাখন আৰু জাপিখন তাতেই গে'টৰ মুখত থ আৰু সুদা হাতে মোৰ ওচৰলৈ সোমাই আহ। তই কাৰবাক কাটি আহিলি হবলা?

—দেউতা, সেইটো কৰা হলে ভালেই আছিল। তেনেকৈ এবাৰ ভাবিছিলোঁৱে, কিন্তু এতিয়ালৈ কাকো কটা হোৱা নাই। দেউতা কওক, কাৰে-বৰ্দাটোকৈতো কাম হব বুলি ভাবি কটা নহ'ল। এতিয়া কিন্তু দেউতাই নিজেই উপদেশ দিয়ক আচে-কৰিব।

—ফুকন দেউতাৰে সেখোৰ [illegible] কৰিলে [illegible] আৰু [illegible] মানুহটোক এনেকৈ দাখন [illegible] [illegible] দেউতাৰ [illegible] কি? কথাটো ভাঙি কচোন।

—দেউতা, বাটত বাঘ-ভালুকৰ ভয়তহে বাখন আনিছোঁ। আৰু আপোনাৰ কথাকো কি কম? অইনৰ কচুৱে গল খজুৱায় —আমাৰ খজুৱাইছে আলুৱে?

—আলুৱে নহয় অ', ঔৰে। 'আপদ কালত ঔৰেও গল খজুৱায়' বোলে।

—হব পাৰে দেউতা, আমি অমূৰ্খ মানুহ, সেইবোৰ ভালকৈ নাজানো। পিছে শুনক দেউতা, মোৰ ল'ৰা এটা পাতচলা ইস্কুলৰ পণ্ডিত। কিনো ইস্কুল চোৱা বৰবাবুৰ লগত কাজিয়া কৰিব পায় নে? উঠে খুৰে নো কেতিয়াবা কাজিয়া চলেনে? পিছে সি তাকে কৰিলে। আৰু সেই কাজিয়া লগোৱা বাবে মই এই বুঢ়া বাপেকে এতিয়া কপ্‌ জপাই দেউতাৰ কাষ পাইছোঁহি।

—কাজিয়া নো কি লগালে? বৰবাবুক মাইল কৰিলে হবলা? পুলিচে ধৰি নিছে নেকি?

—হয়, দেউতা, তেনেকুৱায়ে। সি বৰবাবুক মাৰিলে হেনো!

—এহাতো, তেনে হবই লাগিব। তাৰখনত পিছে কি আনিছ?

—কিনো আনিম দেউতা? আমি জনমদুখীয়া মহাপাপী মানুহ। [illegible] ঘূটাৰ পাৰত থকা মিজা পেৰী ম'হৰ মখা গাখীৰ একলহ, চুৰা এটেকেলী কোমল চাউল এমোনা আৰু মালভোগ কল চাৰি আঙিনে তেনেই ভাৰখন কৰি লৈ আহিছোঁ। দেউতাৰ ঘৰলৈ আ-হাতে আহিব পাৰি নে? হৰিয়া ঠাইকালে একো পাবলৈও নাই;" তাকে নকৰি নো কি কৰো, দেউতা!

—যা তেনেহলে ভাৰখন লৈ আহ আৰু বাহিৰৰ [illegible] থ' আৰু বেঞ্চিত বহ। চাহপানী এটোপা খাই উঠি তোমাৰ [illegible] শুনিম।

[illegible]

গাঁঠীয়াৰ পুত্ৰেকৰ নাম ভুখৰ। তেৰেঁা দেখাত বাপেকৰ দৰেই; কিন্তু বাপেকৰ দৰে তেওঁ পৰিশ্ৰমী নহয়। ভুখৰে মিজ্জাবাৰীশকা কুমাইলয়াৰ দূৰত প্ৰায়মাৰী স্কুলত শিক্ষকতা কৰিছিল। ঘৰৰপৰা খোজকাঢ়ি অহা-যোৱা কৰে।

এদিনৰ কথা। স্কুল-পৰিদৰ্শক 'বৰবাবু' এজন তেওঁৰ স্কুল চাবলৈ গৈছিল? তেৰেঁা আছিল ডেকা মানুহ; শিক্ষিত যুৱক। খুলত্তৰ চেহেৰা তেওঁৰ, গাল-মুখেদি ঘামৰ লগত তেজ ফুটিযাওঁ-ফাটিযাওঁ কৰি ওলাই আহিব খোজে। তাতে তেওঁ তেজ-গোৰা বগা বৰণৰ। সেই দিনা দিন-দুপৰীয়া চাইকেল মাৰি গৈ স্কুল সোমাই তেওঁ দেখিলে-শিক্ষকৰ সোকাৰ টোকনডাল আৰু ছাতিটো মেজৰ ওপৰতে আছে। তাকে দেখি ডেকা পৰিদৰ্শক বৰবাবুৰ খঙে মূৰৰ চুলি পালেগৈ। তেওঁ পণ্ডিতক উধেমুধে গালি দিলে। গালি দিয়াই নহয়, ল'ৰাবোৰৰ আগতে টোকনডাল আৰু ছাতিটো তেওঁ বাহিৰৰ ফালে দলি মাৰি পেলাই দিলে। আৰু সেই ঠাইত নিজৰ টুপীটো থলে।

পণ্ডিতো কম নহয়—'অজাত গছৰ বিজাত ফল'। তেওঁ হাত যোৰ কৰি বৰবাবুক বিনয়ভাৱে চকীত বহি জিৰণি লবলৈ কলে। লগতে কলে—অসভ্য ছাতি-টোকনে এতিয়াহে ভাল শিকনি পাইছে ছাৰ! আপোনাৰ টুপীটো দেখি সিহঁত নিজেই মাৰি যাব লাগিছিল। পিছে ছাৰ, গৰৰ মিৰিকাইৰ [illegible] [illegible]।

বৰবাবুৱে কলে—তোমালোকৰ আচল কথাটো চাবলৈ আহিছো। এই [illegible] বহা যায়নে? [illegible] পণ্ডিতৰ চকীত বহি [illegible] [illegible] [illegible]। '[illegible] কুমি [illegible] কথা [illegible] শিকা [illegible] [illegible] [illegible] [illegible]।

শিক্ষক তেনেকৈ [illegible] কথা' [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible]

[illegible]

[illegible] ?

[illegible]

গৰু নে মানুহ। গৰুক মানুহ কৰাটোৱেইটো আমাৰ কাম। এনেবোৰ গৰুক বখিবলৈ আৰু কোবাই-কিলাই সিহঁতক মানুহ কৰিবলৈ বিধাতাই আমাৰ কপালত লিখিছে। লোকৰ গালি-শপনি খাই হলেও আমি তাকে কৰিব লাগিব; কাৰণ সেইটোৱে আমাৰ কৰ্ত্তব্য।

—থোৱা, থোৱা, মানুহ কৰিবা! অভদ্ৰী স্বভাৱ তোমাৰ, শিক্ষকেই যোৱা নাই। নিজে সিহঁতৰ পাৰ্শ্বত আছা, সিহঁতক তুমি কেনেকৈ মানুহ কৰিবা? এইবোৰ অলগৰ্দ্ধ শিক্ষকক লৈ আমি স্কুল ভাল কৰো কেনেকৈ? জানোৱাৰ ক'ৰবাৰ!

এনেকৈ আৰু দু-আধাবমান কবহে পালে—পণ্ডিতে কলে- 'ছাৰ' ধৈৰ্য্যৰ এটা সীমা আছে। ভগবান শ্ৰীকৃষ্ণয়ো বোলে শিশুপাল ৰজাৰ একশটা গালিহে সহিছিল।ময়ো সহিলোঁ। মোৰ নাম ভূধৰ। গাঠীয়া মালৰ পুতেক ভূধৰ মই। পিতাই অকলে তিনিটাক পাৰে, মইনো এটাকো নোৱাৰিম নে? সম্বাইত, তহঁত ঘৰলৈ যাগৈ ৰবৰাবুৱে আজি স্কুল ছুটী দিছে! ৰবৰাবু আহিলে স্কুল ছুটী হয়। যাগৈ, যা, যা।

এনেকৈ কোৱাৰ লগে লগে ছাত্ৰবোৰে উকলীকৃত হৈ ঘৰলৈ [illegible] দিলে। পণ্ডিতে সেই খেলিমেলিৰ সুযোগতে ৰবৰাবুৰ টুপীটো হাতত লৈ [illegible] বাহিৰলৈ দলিয়াই দিলে; লগে লগে মুখেৰে কলে, "আৰু তাই" [illegible] নহয় ছাৰ আহক এতিয়া কাৰ বল কিমান চাওঁ, বাবুৰ নে [illegible]।" [illegible]

[illegible]

ব্ৰহ্মপুত্ৰ নাবেৰে পাৰ হ'ল আৰু ফুকনৰ সাক্ষাৎ লভিলেহি। দূৰত্ব প্ৰায় ১৫।১৬ মাইলমান হব। পাহাৰৰ খলাবমা বাট।

ফুকনে চাহ-জলপান খাই আহি আবামী চকীত বহি কৈ কলে—কিমান টকা আনিছা? ফুকনক মোকৰ্দ্দমাৰ ফিজ আৰু খৰচ দিব লাগিব নহয়।

—হজুৰ, দুখীয়া মানুহ: গাখীৰ বেচি গোটোৱা পাঁচ শ টকা আছিল, তাকে সম্প্ৰতি আনিছো। ইয়াকে কৈ তেওঁ কঁকালত বান্ধি লোৱা দীঘল জলীয়া-মোনাৰপৰা চিকাৰূপ পাঁচ শ উলিয়াই বটাখনত গণি গণি থলে।

ফুকনে গাঁঠীয়াৰ লগত কথা পাতি মোকৰ্দ্দমাৰ আৱশ্যকীয় কথাবোৰ বুজি ললে। তেওঁ কলে—মই আজি মঙ্গলদৈলৈ নগলেও হব। তোমাৰ ল'ৰাক জামিনত খালাচ দিয়াৰ ব্যৱস্থা মই আজিয়ে কৰিম। মোকৰ্দ্দমা উঠিলে দিনৰ দিনা মোক আৰু পাঁচ শ টকা দিবা। দিনটোৰ কথাও মনত পেলাই দিবাহি।

মোকৰ্দ্দমাৰ শুনানিৰ দিন আহিল। ফুকনৰ জেৰাৰ [illegible] বাদী পক্ষৰ মৰ্য্যাদা লোকে লোকাৰণ্য হ'ল। আদালতত [illegible] মানুহ নধৰা [illegible]। [illegible] বুজিব [illegible] মানুহ [illegible] পৰে—তেওঁৰ চাওঁতে—[illegible] কথা [illegible]। [illegible] সেইদিনা [illegible] মোকৰ্দ্দমাৰ জেৰা হয়।

[illegible]

জেবাৰ সময়ত টিকটিকীয়া ৰঙা মুখৰ ববৰাবুক ফুকনে জেৰা কৰি কৰি আৰু বেচি ৰঙা কৰি তুলিছিল। ফুকনে সুধিছিল—আপুনি স্কুল পৰিদৰ্শন কৰা 'এছ. আই. অৱ. স্কুলচ'; আপোনাক মানুহে ববৰাবু বোলে; আপুনি চৰকাৰী চাকৰিয়াল। আপুনি মিছা কথা নকয়। ভুবন পণ্ডিতে আপোনাক অপমান কৰিছিল, নহয় নে? কোন তাৰিখে কৰিছিল? 'ডায়েৰী' চাই কব আকৌ; নহলে ভুলকৈ কৈ পিছত কৈ ফুৰিব—ফুকনে ওলট-পালট প্ৰশ্ন কৰি মোৰ সকলোবোৰ ভুল লগাই দিলে। আপোনাক ভুবনৰ কথাষাৰেই অপমান কৰিছিল নে মাৰিছিলো? এক চৰ মাৰিছিল নে কেইবা চৰ? আপুনি দুখ পাইছিল নে? কিমান দুখ পাইছিল? আপুনিও তেওঁক চৰ মাৰি দিয়া নাছিল নে? তেনেহলে আপুনি যীশুখ্ৰীষ্টৰ দৰে এখন গালত এটা চৰ খাই উঠি আনখন গাল পাতি দি বৈ আছিল? আপুনি তেওঁৰ চুলিত ধৰি গ্ৰাহ-গজেন্দ্ৰৰ যুদ্ধ চলোৱা নাছিল নে? চাব, মিছা কথা নকব আকৌ। এইখন আদালত। ধৰ্ম্ম বিচাৰৰ ঠাই। মিছা কলেও ফুকনে ধৰিব পাৰিব—আদালতেও বুজি পাব। প্ৰথম চৰটোত কিমান দুখ পাইছিল? বাগৰি পৰিছিল নেকি? ঘূৰ আচম্ভাই কৰিছিল নে? আগতেও আপুনি কেতিয়াবা চৰ-চকা আৰু কিলবাত খাইছিল নেকি? ছাত্ৰবোৰে আপোনা-লোকৰ ঘুঁজ চাই হাত চাপৰি বজাইছিল নেকি? আপোনাৰ দাঁতৰ গুৰি-য়েদি তেজ ওলাইছিল নেকি? সেই মাৰৰ বিষ এতিয়াও আছে নেকি?

বাৰু, ভুবন পণ্ডিতক পৈ আপুনি পোনতে কেনে অৱস্থাত পাইছিল? তেওঁ কি কৰি আছিল? তেওঁ, আপোনাক নমস্কাৰ দিছিল নে নাই? বহিবলৈ কোৱা নাছিল নে? তেওঁৰ ব্যৱহাৰত আপুনি তেওঁক কিবা মূৰ, ভাং খাই থোৱা বুলি সন্দেহ কৰিছিল নেকি? তেওঁৰ ছাত্ৰিটো [illegible] চৌকনভাল আপুনি বাহিৰলৈ পঠিয়াই দিয়া নাছিল নে? যদি নৰ, ভাং খোৱা নাছিল, ব্যৱহাৰতো প্ৰথমে একো বেয়া কৰা নাছিল—তেনেহলে [illegible] কিয় আপোনাক আক্ৰমণ কৰিলে? নে আপুনিহে তেওঁক প্ৰথমে আক্ৰমণ কৰিলে? বাৰু বুজিলো নকলো। পিছে কোনে [illegible] [illegible] পাৰিব [illegible]
[illegible]

পুলিচে জনতাক সংযত কৰি ৰাখিব লগীয়া হৈছিল। জেৰাৰ কোৰ যিমানে বাঢ়ে, বৰবাবু সিমানে ৰঙাচঙা পৰে। ইফালে ফুকনৰো বাক্যৰ আক্ৰমণৰ কোৰ চৰে। শেষত জেৰাৰ উত্তৰ দিওঁতে পৰিদৰ্শকে কি কলে, কি নকলে নিজেই একো কব নোৱাৰাত পৰিল। মহকুমাধিপতি চাহেব নিজেই আছিল সেই মোকৰ্দ্দমাৰ বিচাৰক।

মোকৰ্দ্দমাৰ ৰায়ৰ দিনা শুনা গ'ল—ভূধৰ পণ্ডিত খালাচ হৈছে। কিছুদিন চাকৰি কৰি থাকি পিছত সেই চাকৰি সসন্মানে ইস্তফা দিছিল। ভূধৰ পণ্ডিতৰ মোকৰ্দ্দমাত ফুকন চাহেবৰ ওকালতিৰ কথা আজিও মঙল-দৈয়া পুৰণি লোকৰ মুখে মুখে। (ছিপাঝাৰ, ২৫ ডিচেম্বৰ ১৯৭৪)

—×—

দেশভক্ত ফুকনৰ বাগ্মিতাত আঞ্চলিক মাত-কথাৰ যাদু

কথাশিল্পী তৰুণৰাম ফুকন ডাঙৰীয়া আছিল এজন ভাষাৰ যাদুকৰ, আদ্যোপান্তে যাদুকৰ। তেওঁ বাৰুকৈয়ে বুজিছিল যে মাতৃভাষাৰ ঘৰুৱা কথাৰে মানুহৰ আপোনজন হৈ যিমান কাষ চাপিব পাৰি, তেওঁলোকৰ লগত যিদৰে হলিগলি কৰিব পাৰি আন কোনো উপায়ে নোৱাৰি। হাজোলৈ গৈ হাজোৱীয়া মাত আৰু বৰপেটালৈ গৈ বৰপেটীয়া মাত মাতিলে তাৰ লোকে যেনেদৰে সেই লোকক নিজৰ বুকুৰ-বাৰ্দ্ধে বুলি সাবটি লব, উজনিৰ হাজাৰ গুৰলা, সুৰীয়া, লেনীয়া, মৌ-বৰষা কথা কলেও তেনেদৰে নলব। নকলেও হব যে ফুকন ডাঙৰীয়া আছিল অসমৰ বিভিন্ন ঠাইৰ আঞ্চলিক মাত-কথা আৰু তাৰ থলুৱা ঠাচবোৰৰ এগৰাকী বিচক্ষণ ওজা। এনে ভাষাজ্ঞানে বেৰিষ্টাৰ ফুকনক ওকালতিতো কিন্তু কম সহায় কৰা নাছিল। অভিজ্ঞতাৰপৰা তাৰে ছুটা-এটা উদাহৰণ দিয়া যাওক।

১৯৩৪।৩৫ চন মানৰ কথা। মঙ্গলদৈৰ উজনি অঞ্চলত* এটা ডাঙৰ খুনী মোকৰ্দ্দমা হৈছিল। খুনী মানে খুনী-ডকাইতি। ৰাতি এঘৰ আঢ্যৱন্ত লোকৰ ঘৰত ভালেকিজন ডেকা ল'ৰাই ধন-সোণ পোৱাৰ আশাত ডকাইতি কৰিবলৈ গৈছিল। তাতে আছামীয়ে ফুকনক বেৰিষ্টাৰ ধৰিছিল। বিচাৰক আছিল তেতিয়াৰ মহকুমাধিপতি হাকিম কালিৰাম মেধি ডাঙৰীয়া। মেধি ডাঙৰীয়াৰো এটা বিশেষত্ব আছিল এই যে তেওঁ য'লৈকে যায় তাতে তাৰ থলুৱা লোকৰ মাত-কথা, আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, ধৰ্মীয় অনুষ্ঠান আৰু কাৰ্য্যাৱলী আদিলৈ সদায় লক্ষ্য কৰিছিল আৰু লক্ষ্য কৰায়ে নহয়, নিজৰ টোকা বহীত সেইবোৰ লিখি ৰাখিছিল। তেওঁৰ বৃহৎ 'অসমীয়া

---

*মঙ্গলদৈৰ উত্তৰ অঞ্চলক উজনি নামে জনা যায়। ফুকনানীৰ মাহে মঙ্গলৰ (মাহে সদাগৰৰ) ঘৰ এই উজনিতেই আছিল। আজিও তাত এজুৱা বেউলাৰ বিয়াখলা নামৰ ঠায়ে তাৰ সাক্ষ্য দিয়ে। (স্বৰ্গীয় দীনেশ্বৰ শৰ্মাৰ "মঙ্গলদৈ" চাওক)।

ব্যাকৰণ আৰু ভাষাতত্ত্ব' গ্ৰন্থৰো সৃষ্টি হৈছিল সেইদৰেই ! তেওঁ আকৌ মঙ্গলদৈৰ ৰৰখেলীয়া মংক্তসকলৰ (স্থান বিশেষে এওঁলোকক ৰাতিখোৱা সম্প্ৰদায় বোলে) ভক্তিৰ গুপুত তত্ত্ব আৰু আচৰণীয় পদ্ধতিবোৰ শিকিবৰ কাৰণে নিজে মালাখন্তা (মালাগুটি), টুপী আদি পিন্ধি হাতত টোকন লৈ ঠগী (ভকতসেৱা) খাবলৈ গৈছিল। পিছে উপৰোক্ত, মোকৰ্দ্দমাটোত ফুকনে গোচৰৰ শুনানিৰ দিনা এটা উজনীয়া বড়ো কছাৰী লোকক জেৰা কৰোঁতে সুধিলে – হে'ৰা, ৰৰডেকা কাকা, পুলিচে ধৰা এই চেঙেৰা 'লিক্‌চিবাটো' তোমাৰ কি হয় নো ?

—কি হুবো নো আৰু দেউতা, গুৰ্ গুৰীয়া পো হয় আৰু। ফুকনে হাকিমক মোকৰ্দ্দমাৰ জবানবন্দীৰ নঠিত কথাটো লিপিবদ্ধ কৰিবলৈ কলে। 'গুৰ্ গুৰীয়া পো'– কথাটো ভাবি হাকিম কিঞ্চিৎ হতভম্ব হ'ল। কলে— মই স্পষ্টকৈ বুজা নাই ; পোষ্যপুত্ৰ নেকি ?

ফুকনে কলে – একেবাৰে ঠিক সেইটো নহয়। ৰৰডেকা, হাকিমক তোমাৰ 'গুৰ্ গুৰীয়া পোটো নো কেনেকৈ 'লাগিল' বুজাই কোৱাচোন। তেওঁ জানিব খুজিছে।

সি কলে—এঃ সেইটোনো কি বুঝাবা লাগা কথা ? হজুৰে সোঁচাকৈয়ে বুঝা নাই নেকি ? শুন তেন্তে। হাকিমৰ মাকক যেন্‌বা মই মোৰ তিৰী কৰি আনলু আৰ। হাকিম তেতিয়া চানা চলি। হাকিম মাকৰ লগতে মোৰ ঘৰকলৈগৈ আহিল। হাকিমে তেতিয়াৰপে মোক বাপাই বুলি মাতেই। তেতিয়া হাকিম হ'ল মোৰ গুৰ্ গুৰীয়া পো আৰু। এই লিক্‌চিবাটোও মোৰ তেনে গুৰ গুৰীয়া বেটা।

বাইজে গিৰ্জনি মাৰি হাঁহি উঠিল। মেধি ডাঙৰীয়াই ফুকন চাহাবৰ কাণে চোৰাত ফুকনে—'হয়, ঠিক সেয়ে' (ইয়েচ্ জাষ্ট দেট্) বুলিলে।

আকৌ জেৰা চলিল। ৰৰডেকাই কলে—পিছে মোৰ এই গুৰ্ গুৰীয়া বেটাটো ঘটনাৰ দিনা হজুৰ, মোৰ ঘৰতে আছিল। লেতেৰিত 'ফেলচেং' দি পৰি আছিল। কেকে আছিলে কওঁ শুনক। সেদিনাখন সি আমাৰ ঘৰতে এটা ডাঙৰ ঘটনা কৰিছিল যে। 'মুখাজেৰি' পৰত আৰু কি মৰ্- খধে মৰ্‌লা—সি কাজাকে-মুজাৰে মাই আৰলৰ উপৰৰ যোঁৱাচাঙৰপৰা জ্বা আজাহৰ কলহ ঠুমেই আনি কাঁহীত ৰাকী লৈ তাতে চাকৈ আমুৰই ধৰ্য়

চুৰাৰ ভৰাৰণে এসোপামান চুৰা ঢালি সোপোৰাই খাবা ধৰাতে বিহু খালা। বিহু খাইতো ইতা মৰেই। ঘূহুৰ ঘূহুৰকে কাহি থাকা শুনি মাকে ডাক্তৰৰ লৈ যাই তাক তেনেকৈ মৰহট চান দেখি আথামুথাকৈ খুৰত পানী ঢালি দিলা আৰু তাকে কৰাতহে সি বাচিল। নহলি সি বিবিলাই মৰিলহয়। আমাৰ কাষৰে ভোগোৰা, হথৌ, বৈহগু আৰু কোঁশকোটাইহাতে আহি তাক তেনেকে পৰি থাকা দেখি ধৰাধৰিকৈ তুলি নি পেজেলিত থুমেই থৈ গৈই-ছিল। যেটাৰ সিদিনা ভাত-পানী নাই। সি নো ৰাতি চোৰ কৰবা গল কেনেকে দেউতা? আমাৰ কিবা বোলেই নহয় দেউতা, বোলে—'যেতিয়া শিয়ালে চক মাৰ্লা, তেতিয়া কুকুৰ যেথোন দেশতে নাছিল।' তাৰো সেয়ে কথা, হুজুৰ।

ফুকনে ইংৰাজীতে কলে—ঘটনাটো আপুনি বুজিলেই।

হাকিমে কলে—হয়, বুজিলোঁ। এই কথাবোৰৰো চুৰা, চুৰাৰ ভৰা, কেলচেং—এইবোৰ বুজা হৈছোঁ। পিছে আম্বাৰে-মুখাৰে মুখ-আক্কেৰি শবস্ত সি কি 'বিহু' খোৱা বুলিছে—সেইটো ভালকৈ বুজি নাপালোঁ। তেতিয়া যেথোন বাৰিষা কাল। বিহুৰ সময় নহয়। বিহু খোৱা বুলি ফাকি দিব খুজিছে নেকি?

ফুকনে কলে—নাই ফাকি দিয়া নাই। ঠিকেই কৈছে। মঙ্গলদৈয়া লোকৰ কথাবতৰাত বহুত নতুন নতুন শব্দ পোৱা যায়। 'বিহু' মানে আমি যি বুজোঁ—মঙ্গলদৈত সেই বিহুৰ আৰু এটা অৰ্থ আছে। ইয়াতো সেই অৰ্থহে হৈছে। আমাৰ বিহু, দোমাহী বা সংক্ৰান্তিও তেওঁলোকৰ একপ্ৰকাৰ বিহু, আৰু অন্য একপ্ৰকাৰ বিহু তেওঁলোকে মাজে সময়ে খায়—অৱশ্যে আমিও খাওঁ, সেই নামত নাখাওঁ। তেওঁলোকে 'মাছ' বুলিয়ে খায় আমি যেনিবা 'জিজি' বুলি খাওঁ। লৰালৰিকৈ বা উথামুথাকৈ খাওঁতে গাঁঠি খোৱা বা চৰচৰি খোৱাটো হ'ল এই মঙ্গলদৈৰ দ্বিতীয় অৰ্থৰ 'বিহু খোৱা'। প্ৰথম অৰ্থটো ভালেই, দ্বিতীয়টোহে কেতিয়াবা কাল হব পাৰে। মঙ্গলদৈৰ এই দ্বিতীয় অৰ্থৰ চৰচৰি খোৱা বিহুটো বোধহয় 'বেহু' বা 'ব্যূহ' শব্দৰ অপভ্ৰংশ। কিয়নো চক্ৰবেহুত গাঁঠি লাগিয়ে অভিমন্যু মৰিছিল। বৰডেকাৰ ল'ৰাৰো গতি সেইদিনা অভিমন্যুৰটোৱে হব ধৰিছিল—ভগৱান তাৰ মাজহত জুলীয়া জব সাঁনি এটা'শিঠাকৈ গোপাগোগে গিলোঁতে তাৰ এই গতি হৈছিল; বোধহয় সি মিছা কোৱা নাই।

কথা শুনি হাকিম মেধিডাঙৰীয়াই খন্তেক তভক মাৰিলে। তেওঁ অভ্যাসবশতঃ ফিতেই মেজৰ তলৰ সোঁফালৰ দীঘল ছাতপেবাটেৰপৰা এটা সৰু বহী উলিয়াই ললে আৰু তাত লৰালৰিকৈ কিবা টোকা লিখাত লাগি গ'ল। ফুকন ডাঙৰীয়াই কিবা বুজিব পাৰিয়ে হবলা কলে—লাগিলে মই মঙ্গলদৈৰ এনে অনেক অৰ্থপূৰ্ণ কথা আপোনাক কেতিয়াবা সময় পালে কম।

পুনৰ জেৰা চলিল। শেষত হাকিমে কলে—দুয়ো পক্ষকে আপোচ কৰাই দিব পাৰিলে বোধহয় ভাল আছিল নেকি? কিবা এটা কৰিব নোৱাৰি নে?

ফুকনে কলে—হয়, পিছে বোধহয় তাৰ বাবে এটা দিন লব লাগিব; চেষ্টা কৰি চোৱা যাওকচোন। —এই বুলি দুয়ো পক্ষকে ফুকন ডাঙৰীয়ায়ে আপোচৰ কাৰণে বাহিৰলৈ গৈ কথাবতৰা হবলৈ উপদেশ দিলে। ফৰিয়াদী উকিলেও তাতে সুয়ভৰ দিলে।

আচামী-ফৰিয়াদী উভয় পক্ষই তেতিয়া হাকিমক কৰপুটে কলে—হুজুৰ, তেনেহলে আমি বাহিৰলৈ গৈয়ে একখোৱা গোলমাল কৰি চাওঁ, ইয়াত আদালতত গোলমাল কৰা ঠিক নহব। আমাক 'অলমান' সময় দিয়ক।

মেধিচাহাবৰ পুনঃ এজোৰা নকৈ অলপ খঙ্কি বোৱা দেখি ফুকনে হাঁহি মাৰি কলে—এই 'গোলমাল'বো মঙ্গলদৈত বিহুৰ দৰে দুটা অৰ্থ আছে। এটা কিন্তু আমটোৰ বিপৰীত। ইয়াৰ দ্বিতীয় অৰ্থটো হৈছে—আপোচে মিলিবৰ কাৰণে শান্তিত সদ্ভাৱেৰে চলোৱা আলোচনা; হাই-কাজিয়া নহয়। —মেধি হাকিমে এইবাৰো তেওঁৰ নোট বহীত সেইটো টুকি ললে।

বেবিজৰ ফুকনে বহুত কৰি কলে—তৰাত গোলমালৰ দৰেই আৰু এটা শব্দ জানে নে? 'গোলমাল'ৰ প্ৰথম 'ল'টো মচি দিলে হ'ল—'গোমাল'। মঙ্গলদৈৰ 'গোমাল' মানে কি জানে নে মাজাৰে?—হাকিমে জনা-নজনাৰ মাজত আৰু [illegible] ফুকনে কলে—মঙ্গলদৈৰ ভাৰতীয়া [illegible] 'গোমাল' [illegible] [illegible] 'গোমাল' নহয়, 'গোমাল'। উকীলসকলে হাঁহি দুৰ [illegible]।

[illegible]

[illegible]

[illegible]

[illegible]

[illegible]

ৰীয়া, লিকিৰা, চোকা, হুহি লগা, ভিয়া দিয়া, হিট্ লগা, কলিয়াৰ বেটা, মাটি-খাইটী মাছ, মেমেধু, গভিয়া, অলমাৰি, খোৰাৰ, নিকা, খুমৈইগাৰিয়া ইত্যাদি।

(২)

সেইদিনাখনেই গধূলি উকীলখানাত ফুকন ডাঙৰীয়াৰ উকীল [illegible] চাহৰ মেলত আদৰণি জনাবলৈ নিমন্ত্ৰণ কৰিলে। ফুকন যথাসময়ত ওলালহি। এইবাৰ আহিল অসমীয়া সাজপাৰত আটক ধুনীয়া অসমীয়া ডাঙৰীয়াজন হৈ। আসনত বহিলত সকলোৱে 'তেওঁক নমস্কাৰ জনালে। কিন্তু কোনেও তেওঁৰ লগত মনখুলি কথা পাতিবলৈ সাহ কৰা নাই, কাৰণ প্ৰায় সকলোটিয়ে আছিল তেখেত উকীল, ফুকনৰ 'চেলা' (শিষ্য)। 'অসমীয়াটো' কি কথা-বতৰা চলিল আজৰ বিষয়বোৰ হ'ল—তেজেই 'সাধাৰণ বিধৰ;' ধৰক, খেতিপথাৰৰ অৱস্থা, ঘৰ-সংসাৰ কাৰ কেনে চলিছে, গাঁৱৰ সাধাৰণ মানুহৰ স্বাস্থ্য অৱস্থাদি কেনে ইত্যাদি। এনেতে আহিল উকীল বঙ্কেশৰ দাসগুপ্ত। এওঁ আছিল টাউন কমিটিৰ চেয়াৰমেন। চহৰৰ জনা, মানী, বাক-পটু, আঁতৰীয়া লোক। ৰায়চাহাব দাসগুপ্ত খুবি তেওঁক সকলোৱে জানে আৰু মানে। তেওঁ সাহসী আৰু স্বভাৱতে তাৰ্কিক। তেওঁ আহি সোনেই নমস্কাৰ জনাই ফুকন চাহাবক কলে—ছাৰ, ই কেনে কথা? আপুনি কংগ্ৰেছী নেতা! আপুনি এনে কিৰ্‌কিৰীয়া বিলাতী ধুতি-চাদৰ-পাঞ্জাবী পিন্ধিলে আৰু কি কৰিব?

ফুকন হাঁহখাই উঠিল। সোনেই কলে—ৰায়চাহাব, মই আপোনাৰ দৰে দিনে দহত জনামুৱা লোক খুলি আহি আছিলো। আমি আপুনি [illegible] ফুলতো জাঙিলে। আপোনাৰ এই দাবাত কথাখিনিৰ [illegible] আপুনি জানো কি অকালতি কৰিব? দেখৈ 'বা-বতাহ' [illegible] 'পৰিবিৰিতো' [illegible] ৰাখিব জানে। [illegible] আপুনি [illegible] মানুহ!

[illegible]

[illegible]

ৰঁভুৱৰ সূতাৰ বিলাতী সূতাৰো পাতিব নোৱাৰে। কাপোৰ কি চাব? পৰিষ্কাৰ পাৰ্শ্বীফ্ৰেঞ্চৰেও মিহি। আপোনাৰ ফিজাৰ্লি কমালো নিয়ান মিহি নহয়। তাৰ দাম বেছি। বিশেষ বিশেষ সময়ত আৰু গৰমকালি সেই-বোৰ ডা-ডাঙৰীয়া লোকে পিন্ধে। হাতেকটা অথবা সূতাৰ খদ্দৰৰ দাম কম। পিন্ধিলে তাক একো নজনা জনেও খদ্দৰ বুলি বুজে। আজিলৈকে আপুনি বোধহয় সেইবিলাহে দেখিছে; অন্যবোৰ দেখাই নাই। দেখা দূৰৰ কথা, খুব সম্ভৱ শুনাও নাই।

আৰু শুনক, শুনক। জয়পুৰী খদ্দৰ, যোধপুৰী খদ্দৰ, কানপুৰী খদ্দৰ দিল্লী-কনৌজীয়া খদ্দৰ, আউধীয়া বা অযোধ্যাৰ খদ্দৰ—আৰু কিমান বিধৰ যে খদ্দৰ আছে! কিচিমে কিচিমে জিনিচ, থাপে-থলে দাম-দৰ। আপুনি কি বুজিব? মই খদ্দৰৰ মহিমাকে আজি ওৰে নিশাটো আপোনাক কৈ শুনাব পাৰো। এবাৰ কি হ'ল জানে? এজন বিলাতী চাহাবে মোলাই চহৰত মিহি খদ্দৰৰ কোট-পেণ্ট-নে'কটাই পিন্ধি কেওঁৰ জগত আত্মীয়তাৰে কৃপা-প্ৰাপ্তি পতা বন্ধু এজনৰ কাপোৰৰ চিকুচিকিয়া ৰং বাহাৰ দেখি বৰৰ ক্ৰুশ্চানি [illegible] হৃদি [illegible]—বন্ধু, আপোনাৰ এই কাপোৰ জাপানী নে বিলাতী? কোন দোকানত পায়?

এইবুলি [illegible] চাহ-[illegible]

[illegible]

থাকেহে সুধু নিজবাটোৰে মৰ্মস্পৰ্শী মাত ওলায়। আপুনিও তেওঁলোকক চাকে কৰিব। ফুকন হ'ল বগৰ উড়ান, কিন্তু সেই বগ চেপি বাহিৰ কৰিব জানিব লাগিব। ঘৰত জুইৰ গুৰি থাকিলেই নহয়—[illegible] জুলা মেৰাহলো থাকিব লাগিব। গীতাত আছে প্ৰায় নাই—

সৰ্বোপনিষদো গাবো দোগ্ধা গোপালনন্দনঃ।
পাৰ্থো বৎসঃ সুধীৰ্ভোক্তা দুগ্ধং গীতামৃতং মহৎ।

ৰায়চাহাবৰ যুক্তিৰো গভীৰতা কম নাছিল।

(৩)

এই প্ৰসঙ্গতে ফুকন ডাঙৰীয়াৰ ভাষাজ্ঞান সম্পৰ্কীয় আৰু এটা ঘটনা মনত পৰিল। আগ্ৰাশিখনৰে কথা। তেতিয়া কংগ্ৰেছে মন্ত্ৰিত্ব লব নে নলব তাকে লৈ নিজ দলৰ মাজতে লৈয়া-নলৈয়া বাদ-বিতণ্ডাৰ বণ। [illegible] কাগজতত পঢ়িছিলোঁ ভালকৈ মনত নাই। ফুকন ডাঙৰীয়াই কংগ্ৰেছে মন্ত্ৰিত্ব গ্ৰহণ কৰাৰ প্ৰয়োজনীয়তা সম্পৰ্কে যুক্তি দৰ্শাই কাকতত দিয়া এটা বিবৃতিত কথাৰ মাজতে কৈছিল যে কংগ্ৰেছী মন্ত্ৰী হব লাগিব—[illegible], [illegible], [illegible], [illegible] আৰু [illegible] নেতা [illegible] উপৰিও—[illegible] লাগিব [illegible] এজন 'সূচক' ব্যক্তি। তাৰে উত্তৰ দি [illegible] কংগ্ৰেছী নেতা [illegible] হেম বৰুৱাই—[illegible] কথাৰ মাজতে 'সূচক' এই শব্দটোৰ [illegible] কৈছিল যে কংগ্ৰেছে [illegible] নেতৃত্বত [illegible] গ্ৰহণ কৰিছে। তাৰে [illegible] এতিয়া [illegible] [illegible] [illegible] [illegible] বা [illegible] কংগ্ৰেছে [illegible] মন্ত্ৰিত্ব গ্ৰহণ কৰিছে [illegible] [illegible]। আমাৰ [illegible] ডাঙৰীয়াৰ মতে [illegible] [illegible] হব [illegible] [illegible] এজন ব্যক্তি। তেওঁৰ মতে সেই মন্ত্ৰীজন হব লাগিব বাহিৰে সৰ্বতোপ্ৰকাৰে এজন 'সূচক' ব্যক্তি; অৰ্থাৎ য'ৰ কথা তত [illegible] [illegible] অথবা [illegible] হিচাপে খ্যাতি থকা লোক। —[illegible] এই ব্যাখ্যাটোৱে [illegible] মনত বে'চ উৎসুকতা সৃষ্টি কৰিলে।

পিছে সকলো [illegible] কেৰ [illegible] ফুকন ডাঙৰীয়াৰ প্ৰকৃতি [illegible] তেওঁ ইচ্ছা কৰিলে যেনে তেনে পাৰিব। তেতিয়া [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] লিখিছিল—[illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible]

নোৱাৰিলোঁ; সেয়ে হ'ল, ত্যাগী হেমবৰুৱা দেৱে দেশভক্ত ফুকনৰ অইন বিষয়ৰ এনে এটা দোষ খুচৰি খুচৰি উলিয়াওক তাত আমাৰ মাত মাতিব-লগীয়া একো নাই, কিয়নো আমি দেখাত দুয়োজনে একে গছৰ পাণ, একে কংগ্ৰেছ মহাবৃক্ষতে আশ্ৰয় লৈ থকা লতা; কিন্তু দেশভক্তৰ ভাষাৰ দোষ ধৰিবলৈ যোৱাটোহে ইজনাৰ পক্ষে আমাৰ মনত কেনেবা কেনেবা লাগিল—তাকে ধৃষ্টতা বুলিলে হয়তো অতিমাত্ৰা হব। আমি জনাত ফুকনৰ ভাষা নিৰহ-নিপানী অসমীয়া কথা আৰু আমি বুজাত 'সূচক' শব্দৰ তেওঁ এনে ভুল ব্যৱহাৰ কৰা নাই। ভুল হয়তো অইন কোনোবা ফালেহে।

এইখন চিঠিৰ উত্তৰটোহে আৰু মজাৰ আছিল। তাত ত্যাগবীৰ হেম-বৰুৱাই দেশভক্ত ফুকনৰ অসাধাৰণ ব্যক্তিত্ব, বিচিত্ৰ ভাষাজ্ঞান, প্ৰত্যুৎপন্নমতিত্ব, তাৰ্কিকতা আদিৰ যথাযথ স্বীকৃতি দি সনম্ৰে কৈ কাঢ়িছিল যে 'সূচক' শব্দটোৰ প্ৰকৃত অৰ্থনো কি তাক তেওঁ নিজে নাজানিছিল। তাকে জানিবৰ কাৰণে তেওঁ নিজে 'হেমকোষ'খন খুলি লোৱাত তাত তেনেকৈ লিখা অৰ্থ পাইছিল। পত্ৰ-লিখকৰ লগত একমত হৈ তেওঁ স্বীকাৰ কৰিছিল যে জীয়া নৈয়ে সোঁত সলোৱাৰ-দৰে ভাষাৰ শব্দয়ো অৰ্থান্তৰ গ্ৰহণ কৰে। তেওঁ কৈছিল বাগ্মিশ্ৰেষ্ঠ বাগ্মী ফুকনৰ ভাষাজ্ঞান সম্পৰ্কে প্ৰশ্ন তোলাৰ ধৃষ্টতা তেওঁৰ সচাঁকৈয়ে নাই। পণ্ডিতে ভাষাৰ সেই পৰ্বতো বাহিৰে যেন তাতে এৰি দি ভুল কথাটোলৈহে মন-কাণ দিলে।

অসমীয়া জনসাধাৰণৰ প্ৰাণৰ কথা আৰু মুখৰ ভাষাৰ লগত 'দেশভক্ত' ফুকনৰ একাত্মবোধ আছিল [illegible]। মহাত্মা গান্ধীৰ ভাষাত কবলৈ হলে—ভাষা আছিল ফুকনৰ [illegible] হাতত কুমাৰৰ হাতৰ কোমল মাটিৰ দৰে; [illegible] তাক ইচ্ছামতে তাৰ [illegible] অৰ্থবাচী [illegible] পাৰিছিল।

নরবল্ল

শ্রীঅতুলচন্দ্র বরুবা

[illegible]

NAVARATNA, a collection of nine short biographical sketches of nine noble persons of Assam written by Shri Atul Chand[illegible]d published by Shri Pankaj Kumar Dutta of M/s Mani Manik Prakash Panbazar. Guwahati-1. First Edition, December/1988. Printed by Mani Manik Press, Uzanbazar, Guwahati-1 Price Rs. 20·00

প্ৰকাশক :

শ্ৰীপঙ্কজ কুমাৰ দত্ত
মণি-মাণিক প্ৰকাশ
পাণবজাৰ.
গুৱাহাটী-৭৮১০০১

মূল্য : ২০·০০

প্ৰথম প্ৰকাশ :

ডিচেম্বৰ, ১৯৮৮

মুদ্ৰণ :

মণি-মাণিক প্ৰেছ
উজান বজাৰ
[illegible]

ৰচয়িতাৰ যৎকিঞ্চিৎ

অসমৰ কেইগৰাকী স্মৰণীয় ব্যক্তিৰ জীৱনকাহিনীৰে যে সংকলন মুদ্ৰিত হৈছে। সেইবুলি ই কিন্তু নিৰবচ্ছিন্ন জীৱনী পুথিও নহয়। সকলোবিলাক ব্যক্তিসকলৰ একো একোটাইত খণ্ড-চিত্ৰহে। কিয়নোই লেখকৰ মনত যি ভাবেই প্ৰতিভাত হৈছিল লেখনীত তেনেকৈহে তেওঁলোকে ৰূপ পৰিগ্ৰহ কৰি প্ৰকাশ পাইছিল। এতিয়া পুস্তকৰূপে দেখা দিয়াত ই পাঠকৰ সমাদৃত হলেহে ৰচয়িতা আৰু প্ৰকাশক উভয়ৰে যত্ন সাৰ্থক হব।

পুথিখন প্ৰস্তুত কৰোঁতে অগ্ৰজপ্ৰতিম বন্ধু ডঃ মহেশ্বৰ নেওগদেৱৰ উৎসাহ-উদ্দীপনা পোৱাৰ উপৰি পুথিৰ কেঁচা-ছপা চোৱাত বাতি পুৱালেই মুখ দেখাদেখি হোৱা মোৰ চুবুৰীয়া সাহিত্যিক বন্ধু শ্ৰীনবেন্দ্ৰ নাথ শৰ্মা আৰু শ্ৰীযোগেশ চন্দ্ৰ ভট্টাচাৰ্য্যৰ যথেষ্ট সহায় পোৱা হৈছে। কোৱা বাহুল্য যে মণি-মাণিক প্ৰকাশৰ স্বত্বাধিকাৰী সাহিত্যানুৰাগী অধ্যাপক শ্ৰী[illegible] ভূঞাৰ দৰে প্ৰকাশৰ দায়িত্ব পাছপাতি নোচোৱাকৈ লোৱা নহলে পুথিখনে ইমান সোনকালে বাহিৰৰ আগত মুখ দেখুৱাবলৈ সমৰ্থ নহ'লহেঁতেন। এই ছেগতে তেওঁলোক সকলোটিলৈকে মোৰ হিয়াভৰা শলাগ যাচিলোঁ। কিমধিকমিতি

২৫ ডিচেম্বৰ [illegible]

[illegible]

অসম-কেশৰী অম্বিকাগিৰী আৰু অসম

১৯৬৭ চনৰ ৩ জানুৱাৰী তাৰিখে কামৰূপৰ নৱগ্ৰহ শ্মশানত অসম-কেশৰী অম্বিকাগিৰীৰ নশ্বৰ দেহ চিতাগ্নিত বিলীন হ'ল। আচৰিত কথা তেওঁৰ চিতাগ্নি নিৰ্বাপিত হ'বলৈ নোপাওঁতেই ৪ জানুৱাৰী তাৰিখে সিফালে পুৰণি অসমৰ প্ৰাণকেন্দ্ৰ শিৱসাগৰৰ নিকটস্থ ৰুদ্ৰসাগৰৰ বিৰাট তেলৰ পুং এটাত অকস্মাতে দপ্‌দপ্‌কৈ জুই জ্বলি উঠিল আৰু সুদীৰ্ঘ তিনি সপ্তাহ ধৰি তাক নুমুৱাবলৈ কাৰো সাধ্য নহ'ল। এই ঘটনাৰ সোতৰ বছৰ পূৰ্বে তেনেকৈ অসমৰ একবাক্য নেতা লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ তিৰোধানত ঘনে ঘনে মেদিনী কঁপি উঠিছিল, ঘনে ঘনে বাত-বৃষ্টি হৈছিল। এনেবোৰ কাৰ্য্যই শোকাবহ ঘটনা একোটা আৰু মৰ্মন্তুদ, আৰু ভয়াবহ কৰি তোলে। এনে কুৱা বৰলোকৰ বিয়োগত কেতিয়াবা প্ৰকৃতিয়েও হেনো সহানুভূতিৰ সঁহাৰি দিয়ে। জুলিয়াছ চিজাৰৰ মৃত্যু উপলক্ষে নাট্যাচাৰ্য্য চেক্সপীয়েৰে কৈছিল—

When beggars die, there are
no comets seen;
The heavens themselves blaze forth
the death of princes.

অম্বিকাগিৰী ৰায়চৌধুৰীক ৰায়গিৰী, ৰায়চৌধুৰী, ডেকাগিৰী, অসম-কেশৰী আদি বিভিন্ন নামেৰে সকলোৱে জানিছিল। তেওঁ আছিল একাধাৰে কবি, গায়ক, গীতিকাৰ, নাট্যকাৰ, সাংবাদিক, নেতা আৰু বিপ্লৱী। সেইবাবেই আছিল তেওঁৰ কীৰ্ত্তি; সেইবাবেই আছিল তেওঁৰ ধ্যান, ধাৰণা, পূজা, ধৰ্ম্ম সকলো; আৰু জাতিটোৱেই আছিল জীৱন-সৰ্ব্বস্ব। 'জাতি মোৰ ভেদ, জাতি মোৰ মন্ত্ৰ, জাতি মোৰ শক্তি, জাতি মোৰ মুক্তি। জাতিৰ শক্তি বিকাশে সেইবাবে জাতি হোৱাটো মোৰ অনিবাৰ্য্য কথা।' (জেল-কাহিনী: চেতনা, ৪ৰ্থ বছৰ, ৮ম [illegible] ১৯২২ চন)। [illegible]

ছিল যে বৃহত্তৰ ভাৰতৰ অসম এটা অংগ; গতিকে নিজৰ ঘৰখন আগেয়ে ঠিক কৰি লোৱাটোহে প্ৰত্যেক অসমীয়াৰ প্ৰধান কৰ্তব্য। বস্তুতে তেওঁৰ এনেকুৱা মনোবৃত্তিক ভুলকৈ বুজি সংকীৰ্ণ দেশপ্ৰেমৰ আখ্যা দিবলৈ অনেকে যত্ন কৰিছিল। কিন্তু তেওঁ হলে তেনেকোৱা কথাক অকণো [illegible] কৰা নাছিল। এই সম্পৰ্কে ড° বাণীকান্ত কাকতিয়ে এবাৰ [illegible]। তেওঁ লিখিছিল—His cry, 'Assam for Assamese' and his [illegible]hini philosophy have, at times, been described as provincialism. This is misconsruction pure and simple. His philosophy is one of 'Live and let live.' (Journal of the Gauhati University).

অম্বিকাগিৰীৰ দেশপ্ৰেম অগ্নি-ঋষি কমলাকান্ত ভট্টাচাৰ্যৰ দেশপ্ৰেমৰ দৰেই একে খৰধৰ দেশপ্ৰেম। বহুতে সেইবাবে দুয়োজনা মানুহক গুৰু-শিষ্য বুলি ভাবিছিল বুলি কয়। হবও পাৰে, নহলেনো তেওঁ মৃত্যুৰ আগ কিছুদিনৰ পূৰ্বে পুতেক-জীয়েকহঁতৰ আগত কথা-প্ৰসঙ্গত কৈ যায় নে যে তেওঁৰ শ-টো নি নৱগ্ৰহ শ্মশানত মহৰ্ষি কমলাকান্ত ভট্টাচাৰ্যৰ চিতাস্থানৰ ওচৰত [illegible] কৰিব লাগে? কাৰ্যতো তাকে কৰা হ'ল।

গতিকে দেখা যায় দুজন মহৎলোকৰ আদৰ্শ আৰু জীৱনাই অম্বিকাগিৰীক বিশেষভাবে প্ৰভাৱান্বিত কৰিছিল: কবি কমলাকান্তৰ দেশ প্ৰেমক [illegible] বা আদৰ্শ আৰু ড° বাণীকান্ত কাকতিৰ উৎসাহ-উদ্দীপনা [illegible] তেওঁৰ জীৱনৰ [illegible] [illegible]

বাটেৰি খোজ কাঢ়ি দৈ যোগাবান্ধত জাহাজত উঠিব লাগিছিল। ওবে বাঙি জাহাজ উজাই আহি আহি পুৱা দহ-বাৰ বজাত পলাশবাৰীত লাগিল। ঘাটত পাৰতে ছিৰি পাৰি দিয়াত জাহাজৰ যাত্ৰী আৰু কৰ্মচাৰীসকলে জাহাজখনৰ বজাৰত কিবাকিৰি কিনিবলৈ খৰখৰকৈ লাগি গ'ল। ৰায়-চৌধুৰী তেতিয়াও জাহাজতে আছে। তেওঁ জাহাজৰপৰাই দেখিবলৈ পালে বজাৰত এজনী অসমীয়া গোহাৰীৰ লগতে বঙালী বাবু এজনৰ যে টা-গোটা লাগিছে। বঙালী বাবুজনে গোহাৰীৰ খাদ্যোচ্চপৰা খুভিৰন কোনো-মতে একবাৰাই লৈ তাইক জোতাৰে প্ৰহাৰ কৰিছে আৰু গোহাৰীজনী চিং হৈ বাগৰি পৰিছে। সেই দৃশ্য দেখি তেকা চৌধুৰী খিৰে থাকিব নোৱা-ৰিলে। তেওঁ তৎক্ষণাৎ পাৰলৈ নামি আহিল। তেতিয়া গোহাৰীৰ কপালৰ-পৰা ধাৰাসাৰে ৰক্ত তেজ ওলাই আহিল। ৰায়চৌধুৰীয়ে ঘটনাৰ আতি-গুৰি শুনি লৈ চোলাৰ হাত কোচালে আৰু বাবুজনক উৰাই-ঘূৰাই ঘূচিয়া-ইবলৈ ধৰিলে। বাবুৰ ঘোচাত গবিয়হৰ ফুল দেখি পিছলৈ নাচাই পোনেই জাহাজলৈ দৌৰ দিলে। ৰায়চৌধুৰীয়েও ঘূচিয়াই ঘূচিয়াই খেদিয়ে গ'ল। শেষত অৱশেষ দগাই বঙালী বাবু ছিৰিৰপৰা পানীত ধুপকিলৈ বাগৰি পৰিল। তেতিয়া অন্ত দুজন বঙালী বাবুৱে চৌধুৰীক খেদি আহিল। কিন্তু খেদি আহিল যদিও চৌধুৰীৰ ৰুদ্ৰমূৰ্তি দেখি কেৱে শাতিবলৈ তেওঁলোকৰ সাহ নহ'ল। [illegible]

[illegible]

নহ'ল। এই মহাশয় ভদ্ৰলোকজনেই আছিল অসমীয়া 'কীৰ্ত্তন' পুথিৰ [illegible] প্ৰকাশক হৰিবিলাস আগৰৱালা। আনজন ভদ্ৰলোকে ৰায়চৌধুৰীক জেতিয়া টান মাৰি ধৰি সাৰট মাৰি ধৰি কলে—'পিতাৰ পোঁৱালি নিচে নহৈ কি হ'ব? মই অনন্তকন্দলিৰ বংশধৰ। তুমি শংকৰদেৱৰ বংশধৰ। শংকৰদেৱৰ আৰু অনন্তকন্দলি দুয়ো সখী আছিল। আমি দুয়ো একে।' —এইজনাই আছিল চিন্তানলৰ কবি ঋষি কমলাকান্ত ভট্টাচাৰ্য্য। এই ঘটনাই ৰায়চৌধুৰীৰ জীৱনত এটা নতুন ঝঙ্কাৰ দিছিল বুলি তেওঁ নিজে স্বীকাৰ কৰি গৈছে।

অসমীয়া কাব্যত কমলাকান্তক ঋষিকবি আৰু ৰায়চৌধুৰীক অগ্নিকবি আখ্যা দিয়া হয়। বস্তুতে কমলাকান্ত আছিল চিন্তা-জগতৰ বিপ্লৱী আৰু অম্বিকাগিৰী কৰ্মক্ষেত্ৰৰ বিপ্লৱী। ভট্টাচাৰ্য্যৰ বিদ্ৰোহানল খাইকৈ ফুটি ওলাইছিল কবিতাত: অম্বিকাগিৰীৰ বিদ্ৰোহাগ্নি তেওঁৰ গীত, নাট, কাব্য, প্ৰবন্ধ, বাক্য, কাৰ্য্য সকলোতে প্ৰকাশ পাইছিল। প্ৰথমজনৰ বিদ্ৰোহ খাইকৈ অসমীয়াৰ নিষ্ক্ৰিয়তা আৰু ধৰ্মাচাৰৰ সংকীৰ্ণতাতে নিবদ্ধ আছিল; ৰায়চৌধুৰীৰ বিদ্ৰোহ অসমীয়াৰ পিছপৰা অৱস্থা, হামাহি আদি আৰু বিদেশীৰ শোষণ, নিপীড়ন আদিত জাগি উঠিছিল। দুয়োৰো বিদ্ৰোহৰ মূল সুৰটো এটা, বিষয়বস্তু কিন্তু একে নহৈ পৰিছিল—যেনে ধৰক পৰাধীন অসমৰ শোচনীয় অৱস্থা। দুয়ো অতীতৰ গৌৰৱ সুঁৱৰি অসমীয়াৰ বৰ্তমান শোচনীয় অৱস্থাৰ কাৰণে খেদ কৰি লেখনী চলাইছিল। [illegible]

[illegible]

এই গ্ৰন্থে তাহানে প্ৰতিধ্বনি ৰায়চৌধুৰীৰ সেই বছৰ সপ্তম সংখ্যা 'চেতনা'ত এইদৰে পোৱা যায়—'অসমীয়া নিজ দেশতে আজি প্ৰবাসী—অসমীয়াৰ একো-ৱেই নাই। ইংৰাজ ৰাজৰ অনুগ্ৰহত, অসমীয়া জাতিৰ দুৰ্ভাগ্য গুণে, নানা দূৰ দেশৰপৰা অসংখ্য অসমীয়াৰ স্বাৰ্থবিৰোধী লোক আহি অসমত সোমাই সকলো বিষয়তে আজিলৈকে অসমীয়া জাতিৰ স্বাৰ্থ কিমান পৰিমাণে হানি কৰি আছে তাক লজনা লোক অসমীয়াৰ ভিতৰত নাই। গৱৰ্ণমেণ্টৰ তাতৰ চাকৰি এটা খালী হলে অসমীয়াৰ ভাগত নপৰে।' ইত্যাদি। এইদৰে দুয়োজন কবিৰ ভাবৰ সাদৃশ্য অনেক ঠাইত বিস্ময়কৰভাৱে মিলি থকা পোৱা যায়। পৰ্য্যাচৰণত উদাৰতা অৱলম্বন কৰিবৰ উদ্দেশ্যেই কমলাকান্তই ব্ৰাহ্ম ধৰ্ম গ্ৰহণ কৰিছিল। ৰায়চৌধুৰীৰ কিন্তু দেশখনেই আছিল ধৰ্ম, কৰ্ম, ভগৱান সকলো।

কবি কমলাকান্ত ভট্টাচাৰ্যৰ লগত ৰায়চৌধুৰীৰ সম্বন্ধ আছিল প্ৰাণৰ নিবিড় সম্বন্ধ; গুণে আকৰ্ষণ কৰি গঢ়ৰ চপোৱা লো-চুম্বকৰ সম্বন্ধ। দুয়ো এটা কালৰ মানুহ হলেও দুয়োৰো সম্বন্ধ ঘটিছিল প্ৰকৃততে পৰস্পৰৰ গুণগ্ৰাহিতাৰ মাজেদি হে। '৩১৯৩১ চনত ৰায়চৌধুৰীয়ে 'চেতনা' কাকত মাহেকীয়া আলোচনী হিচাপে উলিওৱাৰপৰা দুয়োৰো সম্বন্ধ আৰু বেছি ঘনিষ্ঠ হৈ পৰে। ৰায়-চৌধুৰীয়ে এ কাকতিক আপুনি কবি বুলি হলেও তেওঁৰ 'চেতনা'লৈ সঘনে প্ৰবন্ধ লিখিবলৈ বাধ্য কৰিছিল। 'জহুৰীয়ে জহৰ চিনাৰ দৰে ৰায়চৌধুৰীয়ে কাকতিৰ ভিতৰত থকা পণ্ডিত লোকজনক হাড়ে-হাড়ে চিনিব পাৰিছিল। [illegible] কাকতিয়েও ৰায়চৌধুৰীৰ 'সেৱনীত' কাব্য-সৃষ্টিৰ প্ৰচুৰ সম্ভাবনা [illegible] কাব্যৰচনাত নিৰত থাকিবলৈ সৰ্ব্বদা [illegible] আছিল [illegible] কাব্যৰচনাত লাগি থাকিলে ৰায়চৌধুৰীয়ে 'আনন্দ জীৱন' পাইছিল [illegible] [illegible] কাকতিয়ে তেওঁক কৈছিল। [illegible] তেতিয়াই ৰায়চৌধুৰীৰ 'কবিতা' [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible]

নীৰ কাৰণেহে। ১৯২৬ চনত পাণ্ডুত বহা জাতীয় কংগ্ৰেছৰ মূল অধিৱেশন মুকলি কৰা হৈছিল ৰায়চৌধুৰীৰ বিখ্যাত 'আজি বন্দো কি ছন্দেৰে' গীতেৰে। এই গীতটোৰ আৰু তাৰ লগতে আৰু দুই-চাৰিটা অসমীয়া গীতৰ ইংৰাজী অনুবাদ কৰি মুকলি সভাত সৰ্বভাৰতীয় নেতাসকলৰ হাতে হাতে দিয়া হৈছিল আৰু তাৰ মাজেদি গীতি-কবি ৰায়চৌধুৰীৰ সুখ্যাতি বিয়পি পৰিছিল। এই অনুবাদ ইংৰাজী তৰ্জমাতো এনে চমৎকাৰ হৈছিল যে বিহুৰ কাৰোবাৰ অধিৱেশনতো কংগ্ৰেছৰ পৰা এইবোৰ পুনৰ মুদ্ৰণ কৰাই বিলাই দিয়া হৈছিল। কোৱা নিষ্প্ৰয়োজন যে এই অনুবাদ আছিল ডঃ কাকতিৰ। ইয়াৰ উপৰিও ডঃ কাকতিয়ে ৰায়চৌধুৰীৰ কাৰাবাসত ৰচনা কৰা গোটাচেৰেক বিদ্ৰোহাত্মক গীতৰ লগত আৰু কেইটামান একে ভাবৰ গীতৰ অনুবাদ যোগ দি ইংৰাজীত **SONGS OF THE CELL** নামৰ পুস্তিকা এখন ৰায়চৌধুৰীৰ নামত উলিয়াই দিছিল। ৰায়চৌধুৰীৰ দেশপ্ৰেম আৰু তাতোকৈ বেছিকৈ কবিত্বত মুগ্ধ হৈ ডঃ কাকতিয়ে এইবোৰ কাম স্বতঃপ্ৰণোদিতভাৱে কৰিছিল যাতে সেইবোৰ দেখি উৎসাহিত হৈ ৰায়চৌধুৰীয়ে কবিতাদেৱীৰ সাধনাত একাগ্ৰতাভাৱে লাগে। তাত অৱশ্যে কাকতিয়ে আশানুৰূপ কৃতকাৰ্যতা লাভ কৰিব নোৱাৰিলে, তেওঁৰ যত্ন-চেষ্টা সকলো অনেক সময়ত 'অবুজনক খুজোৱা, ঢেকীক ঠাঁৰি দিয়োৱা'ৰ দৰেহে হৈছিল। ৰায়চৌধুৰীয়ে সেইবোৰ এৰি তেওঁৰ 'অসম সংৰক্ষিণী সভা'ৰ কামতহে লেহেকেহে থাকিছিল। তেওঁ নিজেই কৈছে—"এইবোৰ যে মোৰ ডঃ কাকতিৰ লগত বাজেনৱৰে মনোমালিন্য হৈছিল।" ডঃ কাকতিয়ে যে, সংৰক্ষিণীৰ পাছে পাছে যেনেতেনে দৌৰাদৌৰি কৰা ... [illegible]

[illegible]

হৃদ্‌ৰোগত আক্ৰান্ত হৈ বন্দী হ'ল, সেই নিদাৰুণ বাৰ্তাটো পাই সেইদিনা ৰায়চৌধুৰীয়ে যোৱে কাকো মাতবোল নিদিয়াকৈ নিজৰ শোৱা কোঠাত বহি চকু-লো টুকিয়ে কটাইছিল আৰু এদিন একেনিশা অনাহাৰে উজাগৰে আছিল।

গোনতে ভাৰতৰ মুক্তিৰ বাবে বিদ্ৰোহ কৰাত ৰায়চৌধুৰী আছিল বক্তপাতবহে পক্ষপাতী। সেইবাবে ১৯০৪ চনত তেওঁ খুদিৰাম বসু, বাৰীন্দ্ৰ ঘোষ, উল্লাসকৰ দত্ত আদিৰ দলৰ এনাৰ্কিষ্ট দলৰ লগ লাগে আৰু তেওঁলোকৰ বিদ্ৰোহৰ ধ্বংসাত্মক কৌশলবোৰ শিকিবলৈ ধৰে। ১৯০৬ চনত তেৱেঁই মৰম্যাহ কৰি তেতিয়াৰ অসমৰ স্থলাভিসিক্ত সৰ্বময় কৰ্তা ছাৰ বেমফিল্ড ফুলাৰ চাহাবক হত্যা কৰিবৰ কাৰণে ছিলং-গুৱাহাটী বাটত ডিনেমাইট স্থাপন কৰিছিল; পিছে সুৰেন দাসগুপ্ত বুলি এজন ভদ্ৰলোকে পুলিচক ইয়াৰ গোপন-বাৰ্ত্তা জনোৱাত দুৰ্ঘটনা হবলৈ নাপালে। তাৰ ফলস্বৰূপে ৰায়চৌধুৰীৰ কিছু কম লটিঘটি হোৱা নাছিল। জীয়া বাঘৰ নেগুৰেৰে কাণ খজুৱাবলৈ যাহ কৰা এনে বিহঙ্গটি ৰায়চৌধুৰীৰ অহিংস নীতিলৈ মনৰ প্ৰত্যাবৰ্তন কেনেকৈ ঘটিল সেইটো মন কৰিবলগীয়া।

'গান্ধীজীৰ লগত মোৰ প্ৰথম সাক্ষাৎ' নামৰ প্ৰবন্ধত ৰায়চৌধুৰীয়ে সেই [illegible] বিশ্লেষণ কৰিছে। [illegible] মহাত্মা গান্ধীৰ [illegible] সেই পৰিবৰ্তন ঘটে। [illegible] পৰিবৰ্তন [illegible] অসমীয়া জাতি-সংৰক্ষণৰ চিন্তাই তেওঁক এনা নিদিলে। [illegible] সেই চিন্তাই ইবাৰ [illegible] কৰি পেলালে। সেই [illegible] তৃতীয়- [illegible]

[illegible]

কাব্যও সেইবাবেই উদ্ভৱ হৈছিল যদিও তেওঁৰ গ্ৰীক-নাটবোৰ [illegible] উত্তপ্ত দেশপ্ৰেমৰ প্ৰবাহে ওলাইছিল। দেশৰ [illegible] বিষয়ৰ লগে লগে প্ৰথম যৌৱনৰ উদ্‌ভ্ৰান্ত প্ৰেমৰ বাণী [illegible] অন্তৰীণ হৈ থকা কালছোৱাত ৰায়চৌধুৰীৰ সাহিত্য জীৱনৰ দ্বিতীয় স্তৰটো অংকুৰিত হৈছিল। সেই সময়ত বঙালী কীৰ্তনীয়া দল, যাত্ৰা-গান আদি অসমত বৰ ৰুচিকৰ হৈ পৰিছিল। আনকি বৰপেটীয়া লোকেও এনে যাত্ৰা-গানত যোগদান কৰি ধন্য মানিছিল। পিছে, 'বৰপেটীয়াৰ জিভাত বঙালী ভাষাৰ উচ্চাৰণ বৰ কদৰ্য্য শুনায়' (মোৰ জীৱন ধুমুহাৰ এছাতি—১৯৫০)। গতিকে ৰায়চৌধুৰীয়ে অশেষ যত্ন কৰি অসমীয়াতে ক্ৰমে 'জয়দ্ৰথ বধ', 'ভক্ত-গৌৰৱ' আদি নাটক লিখে আৰু অভিনয় কৰে। বঙালী সঙ্গীত উঠাবৰ কাৰণে তেওঁ 'সনাতন সঙ্গীত সমাজ' নাম দি নৃত্য-গীতানুষ্ঠান এটা গঢ়ি তুলিছিল। ছাত্ৰাৱস্থাত তেওঁ 'বন্দিনী ভাৰতমাতা' নামৰ নাটক এখন ব্ৰিটিছ শাসনৰ বিৰুদ্ধে বিক্ষোভ বঢ়াবলৈ যত্ন কৰিছিল। কটন কলেজিয়েট স্কুলত সৰস্বতী পূজা উপলক্ষে সেই সময়ত এই নাটক অভিনীত হৈছিল, কিন্তু তাত স্বদেশী সেনাদলে ব্ৰিটিছ লোকসকলক দূৰ কৰা দলৰ গীতটো গাই আগবাঢ়ি যোৱা দৃশ্য অন্ত হবলৈ নৌপাওঁতেই পুলিচে অভিনয় বন্ধ কৰি দি আটাইকে বাজেয়াপ্ত কৰিছিল—

আজ যাৰ প্ৰাণ, [illegible] ধৰি আন, কানত বুজাই দে,
বাজা ঘণ্ট আজি, বুদ্ধ সাজি বাজি, নিজৰ কৰিবা কি—
তাই নিজৰ কৰিবা কি— ।
[illegible] আজি [illegible] হাতে হাতে তুলি [illegible]
নৰবিধি ভয়, [illegible]

[illegible]

'হায়! এনেনে ভাৰত ধাম! এনেনে ভাৰত ধাম;
বেদোপনিষদ পুৰাণ ভাৰতে বখানে যাৰ নাম।'

ইত্যাদি গীত সেই সময়ত ডিব্ৰুগড়ত মানুহৰ মুখে মুখে হৈ পৰিছিল।

১৯১৮ চনত ৰায়চৌধুৰীয়ে গুৱাহাটীলৈ আহি 'অৰুণা প্ৰেছ' খোলে আৰু 'চেতনা' নামৰ মাহেকীয়া কাকত উলিয়ায়। 'চেতনাৰ' বেটুপাততে লিখা আছিল 'উত্তিষ্ঠত জাগ্ৰত প্ৰাপ্য বৰান্ নিবোধত।' এই সম্পৰ্কেও এটা ৰহস্য-পূৰ্ণ ঘটনা আছে। ৰায়চৌধুৰীয়ে নিজে আলোচনীখনৰ সম্পাদক হৈও তাক ঘৰে ঘৰে বিক্ৰী কৰি ফুৰিবলৈ লাজ নকৰিছিল। এদিন তেওঁ মোনাত 'চেতনা' লৈ এজন পুৰণি বন্ধুৰ ওচৰ চাপিল। বন্ধুজন অৱস্থাপন্ন লোক আছিল। 'চেতনা-হস্তে' অম্বিকাগিৰীক দেখি তেওঁ সচকিত হ'ল আৰু কলে 'তুমি অফিচলৈ (বন্ধুজন সেইসময়ত জিলাধিপতিৰ অফিচত কেৰাণী কাম কৰি আছিল) এইবোৰ বিদ্ৰোহী কাকত আনি আমাৰ চাকৰিবোৰ খাব খুজিছা নেকি? ৰাজদ্ৰোহৰ কথা থকা কাকত-পত্ৰ চৰকাৰী চাকৰিয়ালৰ দ্বাৰা কিনি লোৱা আৰু পঢ়া নিষিদ্ধ বুলি তুমি নাজানা হবলা?'

—'ক'ত নো ৰাজদ্ৰোহ দেখিলাহে!

—'কিয় ৰাজদ্ৰোহ নহয় যদি সেইয়া কি? ওপৰতে দেখোন ডাঙৰ ডাঙৰ আখৰেৰে লিখা আছে—'উত্তিষ্ঠত জাগ্ৰত প্ৰাপ্য বৰান্ নিবোধত—উঠা, জাগা, অম্বিকাগিৰীৰ লগ লাগি ইংৰাজক টঙনিয়াই খেদাহি। ইয়াতকৈ আৰু কি লাগে? বোৱা ভাই, শীঘ্ৰে ইয়াৰপৰা যোৱা। লাগিলে এনেয়ে তোমাক টকা-পইচা দিম, তথাপি এইবোৰ আৱৰ ওচৰলৈ নানিবা।' এনে পৰিস্থিতিৰ মাজেৰিও তেওঁ 'চেতনা' চলাইছিল।

১৯২১ চনত অম্বিকাগিৰী আনবোৰ নেতাৰ লগে কাৰাৰুদ্ধ হ'ল। তেওঁৰ কসুৰ আছিল, তেওঁ বিদ্ৰোহৰ গীত ৰচনা কৰি দেশৰ ৰাজভক্ত প্ৰজাক বিদ্ৰোহী আৰু বিভ্ৰান্ত কৰি তুলিছে। আচৰিত কথা কাৰাগাৰত থাকি-লেও তেওঁ, ঠাই ধাৰ বিয়া আদি, কাম কৰি থাকোঁতেও তেওঁ বিদ্ৰোহৰ গীত মুখে মুখে ৰচনা কৰি গাইছিল আৰু বন্দী কাৰাবাসীসকলক শিকাই-ছিল। এইবোৰ গানত নিষিদ্ধ হৈছিল। আজিও তাৰ দুই-চাৰিটাৰ প্ৰথম শাৰীবোৰ যৌবনেৰে আগৰ কথা 'ধাঁই ধাঁই' দেখে—

১। ধৰ ঝাৰু ধৰ ভাই, আৰু চাবৰ সময় নাই;
চাই থাকোঁতে মুখত তোৰ ভৰিল কাজল চুণ ছাই।

২। তই ভাঙিব লাগিব শিল, তই সহিব লাগিব কিল
নোৱাৰো বুলিলে নহব যে ভাই, টিলতে পৰিব টিল।

৩। আৰু কি দেখাবি ভয় কাৰাগাৰ, আৰু কি দেখাবি ভয়;
তোৰ বঙা চকু বঙা যিমানে কৰিবি, সিমানেই মোৰ জয়
কাৰাগাৰ, সিমানেই মোৰ জয়।

৪। জাগ জাগ ভাৰত সন্তান হিন্দু-মুছলমান জাগ—
মুক্তি-শঙ্খ বাজে জাগে ভেদি, লক্ষ ভ্ৰাতাৰ হিয়াৰ তেজেদি
ৰঞ্জিত হোৱা জালিয়ানৱালাবাগ—ইত্যাদি

এইবোৰৰ বাহিৰেও সুপ্ত জনগণক জগাই তোলা অনেক সমদল সঙ্গীত অম্বিকাগিৰীয়ে জেললৈ যোৱাৰ আগতে ৰচনা কৰিছিল। সেইবোৰৰো প্ৰথম পংক্তিবোৰৰ নমুনা, যেনে—

(ক) ব'লা ভাই আগুৱাই
অতি উচ্চ, অতি উন্নত, অতি সুন্দৰ ঠাই।

(খ) এইটো নহয় হাঁহি খেমালিৰ আগৰ জুৰোৱা গান;
ইযে জীৱন-মৰণ একাকাৰ কৰা অগ্নি-বীণাৰ তান।

(গ) এইহে তোমাৰ বাণী ভাৰত, এইহে তোমাৰ দান
তোমাৰ হকে জীৱন মৰণ, তোমাৰ হকে প্ৰাণ—ইত্যাদি।

'সংৰক্ষিণী সভাৰ কাৰ্য্যৰ লগত মুক্তি-যুদ্ধৰ কাৰ্য্য ওতপ্ৰোতভাৱে জড়িত আছিল। প্ৰথমে 'চেতনা'ই আছিল সংৰক্ষিণীৰ মুখপত্ৰ স্বৰূপ। সংৰক্ষিণী সভাৰ উদ্দেশ্য সম্পৰ্কে ৭ম বছৰৰ 'চেতনা'ত কোৱা হৈছিল—

'চাৰিওফালৰপৰা এই মহাবিপদবোৰৰপৰা উদ্ধাৰ হৈ অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ বাবে এটা সংঘবদ্ধ চেষ্টা কৰিবৰ আৱশ্যকতা অনুভৱ কৰি ইং ৪।৬।২৬ তাৰিখ মঙ্গলবাৰে আবেলি ৫। বজাত গুৱাহাটীৰ 'চেতনা' কাৰ্য্যালয়ত মৌলবী মুহিবুল হক বি. এল ডাঙৰীয়াৰ সভাপতিত্বত অসমীয়া সংৰক্ষিণী সভা নামে এখন সভা স্থাপন কৰা হয়। এই সভাৰ উদ্দেশ্য

অসমীয়া হিন্দু-মুছলমান খৃষ্টিয়ান সকলোৱে একতাবদ্ধ হৈ সকলোবিলাক বাহিৰৰ আক্ৰমণ উৎপীড়নৰ বিৰুদ্ধে অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষা কৰা।' ১৯৩৫ চনত এই সভা 'অসম জাতীয় মহাসভা'লৈ ৰূপান্তৰিত হয় আৰু সেই চনৰে ২২ জুলাইৰপৰা অম্বিকাগিৰীৰ সম্পাদিত 'ডেকা অসম' নামৰ পষেকীয়া আলোচনী প্ৰচাৰ হবলৈ ধৰে। যাহেকে দুমাহে উলিয়াই হলেও এই কাকত অসম-কেশৰীয়ে মৃত্যুৰ সময়লৈকে চলাই আছিল।

ৰায়চৌধুৰীৰ লেখনীৰ বিশেষকৈ তেওঁৰ জাতীয়তাবাদী গদ্য ৰচনাৰ বৈশিষ্ট্য ধৰা পৰিছিল তেওঁৰ ভাষা-প্ৰয়োগত। ভৰা কলহৰ পানী চেপ ভিত্তিৰে বাহিৰ হব লাগিলে যি অৱস্থাৰ সৃষ্টি হয় ৰায়চৌধুৰীৰ ভাষা প্ৰয়োগতো ভাবৰ তুলনাত সেয়ে হৈছিল। তেওঁ কেতিয়াবা নিজে মনঃপুত শব্দ তৈয়াৰ কৰি লৈ ব্যৱহাৰ কৰিছিল আৰু কেতিয়াবা ঘৰুৱা কথা-বাৰ্তাত প্ৰয়োগ কৰা শব্দকে ব্যৱহাৰ কৰিছিল। কেতিয়াবা একোটা ভাব প্ৰকাশ কৰিবলৈ তেওঁ একে অৰ্থৰে যেন আটাইবোৰ শব্দ ব্যৱহাৰ কৰিহে ভাবমুক্ত হব পাৰিছিল।

ৰায়চৌধুৰীৰ প্ৰকৃতি প্ৰায় সকলোৰে জনাজাত আছিল। তেওঁ আনৰ বুজনি শুনি আনৰ অনুগামী হোৱাতকৈ আনসকলক নেতৃত্ব দিবলৈহে সদায় আগবাঢ়িছিল। তেওঁৰ অন্তৰখন আছিল প্ৰকৃত কবিৰ অন্তৰ, আৱেগ-অনুভূতিপূৰ্ণ; যুক্তি-তৰ্কৰ স্থান তাত তাকৰ আছিল। সেই হেতুকে আনে তেওঁক কোনো কোনো সময়ত স্পষ্টকৈ বুজিবলৈ টান পাইছিল আৰু তাতেই তেওঁ অসহিষ্ণু হৈ পৰিছিল। তেওঁৰ কথাবোৰৰ বহুত তলতহে আচল ভাবটো আছিল আৰু কেতিয়াবা কেতিয়াবা তেওঁ যি কৈছিল আচল ভাবটো হয়তো সেইখিনি তাৰ লগত সংগতিবিহীন হৈ পৰিছিল। তেনে স্থলত তেওঁ বুজাতকৈ ভুলবুজাৰ সম্ভাৱনা অধিক হৈ পৰিছিল।

ৰায়চৌধুৰীয়ে তেওঁৰ যথাসম্ভৱ নিজৰ আহিত গঢ়িবলৈ যত্ন কৰিছিল আৰু তাত কৃতকাৰ্য্যও হৈছিল। 'ডেকা অসম'ৰ আয়ত তেওঁ নিজৰ মুক্ত-কণ্ঠ [illegible] নিজৰ [illegible] বিলাইছিল। যেহেতু সকলোৱে আগে ভাগে তাৰ কৰা [illegible] [illegible] পোৱা নাছিল। পৰ্যায়ত তেওঁৰ [illegible] আছিল, [illegible] তাৰ মূলে তেওঁ নিজৰ [illegible] আগবাঢ়িবলৈ কোনো দিন [illegible] নকৰিছিল। তেওঁৰ বাবত কোনো ৰাৰ্থতাৰ কোনো বাধা [illegible] হব পোৱা নাছিল।

এসময়ত অসমক অন্যায়ৰূপে গ্ৰুপত বান্ধি দিবলৈ সৰ্বভাৰতীয় নেতাসকলে আয়োজন কৰাত তাৰ প্ৰতিবাদ কৰে তেওঁ ভাৰত চৰকাৰ আৰু সৰ্বভাৰতীয় নেতাসকললৈ টেলিগ্ৰাম পঠাবলৈ পইচা নথকাত তেওঁৰ পত্নীৰ সোণৰ গহনা পৰ্য্যন্ত বিক্ৰী কৰি দিছিল। তেওঁৰ পতিপ্ৰাণা পত্নীয়েও অকুণ্ঠচিত্তে তাত সহায় কৰিছিল। এয়ে আছিল অসম-কেশৰী অম্বিকাগিৰী, আৰু এনেকুৱাই আছিল তেওঁৰ দেশপ্ৰেমৰ নমুনা।

বেণুধৰ শৰ্মা ঃ

গোটাচেৰেক স্মৃতিৰ চেঁকুৰা

১৯৫১ চনৰ কোনোবা এদিন গুৱাহাটীৰ লয়াৰ্চ বুক ষ্টলত তজবজীয়া আবহীয়া লোক এগৰাকীক লগ পাইছিলোঁ, তেঁৱেই আছিল পাতাল সন্ধানী বুৰঞ্জীবিদ বেণুধৰ শৰ্মা। লয়াৰ্চৰ মালিক বিচিত্ৰনাৰায়ণ দত্তবৰুৱা মানুহৰ লগত চা-চিনাকি হোৱাত আৰু ইজনৰ লগত সিজনৰ বন্ধুত্ব স্থাপন কৰি দিয়াত নামে-কামে বিচিত্ৰ আছিল। তেঁৱেই সিদিনা আমাৰ দুয়োকো চিনাকি কৰি দিছিল। আজিও মনত পৰে, শৰ্মা ডাঙৰীয়াই পোনেই কৈছিল—'কাব্যপ্ৰভা'ৰ অতুল বৰুৱা নে? মই আপোনাক বয়সীয়া মানুহ বুলিহে ভাবিছিলো। তেনেই ডেকা মানুহ দেখোন? ব'ব, পিছে, মই হলে ভূটান পৰ্বতৰ নামনিত থকা আপোনাৰ নতুন গাওঁবোৰৰ এখন আনিম যেই। হৰিণচৰা, সুৱাগপুৰ, মৈৰাবাৰী—এনে ধুনীয়া ধুনীয়া নামবোৰ কোনে দিছিল বাৰু? আজিকালি আপুনি লেখামতে ঠাইবোৰ অটব্য অৰণ্য নহয় হেনো!'—এইদৰেই আৰম্ভ হৈছিল আমাৰ চিনাকি, সৌহাৰ্দ্য আৰু মধুৰ সম্পৰ্ক। তেওঁ মোক বন্ধুবৎ ব্যৱহাৰ কৰিছিল যদিও মই তেওঁক গুৰুবৎ জ্ঞান কৰিছিলো। যাঠিৰ দশকৰপৰা সেই বন্ধুত্বৰ আকৰ্ষণ ক্ৰমাৎ বাঢ়ি আহিছিল। মই তেখেতৰ বিহাবাৰী সুৱাগপুৰৰ ঘৰলৈ সঘনে অহাযোৱা কৰিছিলো আৰু তেখেতেও আমাৰ বহাত মাজে-সময়ে পদধূলি দিবলৈ হেলা নকৰিছিল। সত্তাশী বছৰ বয়সত ১৯৮১ চনৰ ২৩ ফেব্ৰুৱাৰী তাৰিখে শৰ্মাদেৱৰ দেহাৱসান ঘটিল। কিন্তু তেওঁৰ সান্নিধ্যৰ মধুৰ স্মৃতি মই পাহৰিব পৰা নাই, পাহৰিবও। তেখেতে অনেক গল্প কৈছিল। সেইবোৰত জীৱনৰ বিচিত্ৰ অভিজ্ঞতাৰ ছবি জকমকীয়া হৈ ওলাই পৰিছিল। তাৰে গোটাচেৰেক ইয়াত সুঁৱৰি থুলিছো।

চাবিং খুলিলেই বেণুধৰ শৰ্মাৰ আৰু বেণুধৰ, শৰ্মা [illegible] [illegible] পাবে। অবিভক্ত প্ৰেস্‌টো খুলিবলৈ বেণুধৰক [illegible], আৰু বেণুধৰ,

বুৰঞ্জীৰ পোহৰ পেলাই লোকদৃষ্টিত চাৰিঙক এক দিব্য উপবন কৰি তুলি-বলৈ যত্নৰ ত্ৰুটী কৰা নাছিল। পণ্ডিত তীৰ্থনাথ শৰ্মাদেৱে কোৱাৰ দৰে বেণুধৰ আছিল—চাৰিং হীপৰ ৰবিকৰ ক্ৰুচো। কামাখ্যা, উমানন্দ, বশিষ্ঠ, অশ্বক্লান্ত আৰু শুক্লেশ্বৰ—এই পাঁচখন তীৰ্থৰ অৱস্থানে সমস্ত গুৱাহাটীকে পঞ্চ তীৰ্থ কৰি তোলাৰ দৰে পাঁচ গৰাকী মনীষীৰ জন্ম দি চাৰিঙো আজি হৈ পৰিছে অন্য এক পঞ্চতীৰ্থ। বাগ্মীবৰ নীলমণি ফুকন, কবি যতীন্দ্ৰ নাথ দুৱৰা, নাট্যকাৰ নকুল চন্দ্ৰ ভূঞা, সংবাদসাহিত্যিক পদ্মধৰ চলিহা আৰু বুৰঞ্জী-সূৰ্য্য বেণুধৰ শৰ্মাৰ জন্মস্থান চাৰিং। 'কংগ্ৰেছৰ কাচিয়লি ৰ'দতহে যে চাৰিং জাকত-জিলিকা হৈ পৰিছে এনে নহয়, বীৰপূজাৰ বাহকবাহী শৰ্মাদেৱৰ 'মণিৰাম দেৱানে'ও চাৰিঙক কম উজ্জ্বল কৰি তোলা নাই। মণিৰাম দেৱানক তেওঁ চাৰিঙত জীয়াই তুলি পদে-প্ৰমাণে 'বীৰৰূপে' দেখুৱালে।

কথাপ্ৰসঙ্গত উত্তৰ গুৱাহাটীৰ (আদিতে মঙ্গলদৈৰ, 'দৰংৰাজবংশাৱলী' প্ৰণেতা সূৰ্য্যখড়ি দৈৱজ্ঞৰ বংশধৰ) স্বৰ্গীয় ভগীৰাম বৰুৱাৰ কথা শৰ্মাই এদিন মোৰ আগত এইদৰে কৈছিল যে জীৱনত তেওঁ হেনো এইগৰাকী লোকৰ দৰে অদ্ভুত গল্পৰসিক লোক দ্বিতীয় এজন পোৱা নাছিল। বৰুৱাৰ মুখত গল্পই হেনো নিতে নৱৰূপ গ্ৰহণ কৰিছিল। আগদিনৰ গল্প বা কাহিনীটোকে কিবিকি দিয়া অন্য এটা ৰূপত সেই একে সমান ৰসাল আৰু মনোগ্ৰাহী হৈ ওলাইছিল।

ভগীৰাম বৰুৱা আৰু বেণুধৰ শৰ্মা কলিকতাত একেলগে পঢ়া বন্ধু আছিল। এবাৰ হেনো কলিকতাবাসী বৰুৱাই একমাত্ৰ মুখৰ বলতে, [illegible] সহায়তে, ৰেলত বিনা টিকটে গুৱাহাটী পাইছিলহি। [illegible] টেঁকাৰে বৰুৱাৰ মুখেদি অনৰ্গল নাটকীয় সংগীত ওলোৱা [illegible] 'চন্দ্ৰহাস' নাটকৰ [illegible] মুখ মেলি আছিল [illegible] [illegible]

শৰ্মাদেৱে কিন্তু যাকে-তাকে লগত মন খুলি কথা নাপাতিছিল আৰু মনে-চিতে নিমিলা মানুহক তেওঁ দুটা কথাৰে বিদায় দিছিল। এই প্ৰসঙ্গত ডেকা বুঢ়া বহুত কৃতবিদ্য লোকৰ নাম তেওঁ নিজে কোৱা আজিও মনত পৰে। এই লেখকৰ কাৰণে হ'লে শৰ্মা ডাঙৰীয়া আছিল কাহিনীৰ কানি-খোলাৰ দৰে বৰ আকৰ্ষণৰ বস্তু। কেতিয়াবা তেওঁৰ কথা শুনি শুনি ভোল গৈ থাকি ৰাতি ভালেখিনি হোৱাত ঘৰলৈ ওভতোতে বাটত বৰষুণে পোৱাৰ কথাও মনত আছে। তেওঁৰ কোৱা দুই-এটা কাহিনী ইয়াত উল্লেখ কৰা ভাল হ'ব।

এবাৰ বিট্‌চন্ বেল চাহাবে বোলে এখন গাঁৱলৈ গৈ তেওঁক বেৰি ধৰা অসমীয়া মানুহবোৰক সুধিলে—'ইয়াত বাৰু ইংৰাজী কথা ক'ব পৰা বা বুজিব পৰা কোনোবা লোক আছে নে?'—তাকে এজন ধূৰ্ত্ত লোকে ক'লে—'হুজুৰ, এইবোৰ তেনেই আহম্মক লোক। ইংৰাজী নাজানে। এই অধমেই থোৰাথুৰি জানো।' চাহাবে ঘপৰাই সুধিলে—'তুমি নো বাৰু কি থোৰাথুৰি জানা? জানা যদি বাৰু মোৰ নামটো অসমীয়াত কি হ'ব কোৱাচোন! মোৰ নাম হ'ল—N.N.D. Bitchon Bell.'

ধূৰ্ত্ত লোকটোৱে ভাবিলে—N.N.D. ন-ই ন-ই দই দ। লিকালে আছে। 'বেল—অৰ্থাৎ ঘণ্টা। গতিকে সি ক'লে—'নকহলাল, ঘণ্টা কোবাও, ঘণ্টা কোবাও।' মানুহবোৰে খিক্ খিকাই হাঁহিলে। চাহাবে তাৰ পিঠিত চাপৰ দিয়াই 'চাবাচ, চাবাচ' বুলিলে।

ঠাইৰ নামৰ ইতিহাস আৰু প্ৰবাদ প্ৰসিদ্ধি কোৱাত বেণুধৰ শৰ্মাৰ সমকক্ষ বীৰ নাছিল। এইবোৰৰ সন্ধানত তেওঁ গাঁও-ভুঁই পাত-পাত কৰি ঘুৰিছিল। তেওঁ এদিন মোক সুধিছিল—'আপোনালোকৰ নগাঁৱৰ ৰাজবাটী কোনা, উইচোনৰ জানেনে? ৰাজবাটী নামটো কেনেকৈ হ'ল জানেনে? [illegible]

ৰজাই সুধিলে—এইয়া কি ঠাই পালোঁহি ?—হঠাৎ কোনেও একো নমতা দেখি তেৱেঁ ক'লে—মোৰ অনুমান এয়ে আমাৰ মাজৰাট হব। তেতিয়াৰ পৰাই সেই ঠাই মাজৰাট বুলি জনাজাত হ'ল।'

সেইদৰে হাজোৰ পোৱামক্কা সম্পৰ্কে তেওঁ কৈছিল তাত মক্কাৰ এক চতুৰ্থাংশ বা এপোৱা থকা বোলা কথাৰ একো যুক্তি নাই। তেনে কথা বুৰঞ্জীয়েও সমৰ্থন নকৰে। তেওঁৰ মতে ঠাইডোখৰৰ ওচৰতে পাহাৰৰ দাঁতিত এটা সৰু নিজৰা আছে, নাম পোৱা জৰণা। এই নিজৰাৰ পাৰৰ পাহাৰৰ আশ্ৰয়ত নকৈ গাঁও মোকাম পাতি বাস কৰিবলৈ নবাগত মুছলমানসকলে অভিলাষ কৰিছিল। পোৱা নিজৰাৰ পাৰৰ মোকাম বা গাঁও বুলিয়েই হেনো মানুহৰ মুখত সি হৈ পৰিছিল—পোৱামকাম বা পোৱামক্কা।

শৰ্মা ডাঙৰীয়াৰ মুখে গুৱাহাটীৰ বামুনীমৈদাম ঠাইৰ বামুনীৰ ইতিহাস বহুতে শুনিছে। খেনোৱে ইয়াক বামুনীমৈদান বোলে। শৰ্মাৰ মতে কিন্তু ইয়াৰ আচল নাম বামুনীমৈদান নহয়—বামুনীময়দানো নহয় বাউনীমৈদাম হে। গদাপাণি কোঁৱৰক বজা পতা বন্দৰ বৰফুকনৰ পত্নী বাউনী ফুকননীক হেনো এই ঠাইৰ কোনোবা এচুকত ৰাজকীয় সন্মানেৰে মৈদাম বা কবৰ দিয়া হৈছিল। 'বাউনী ফুকননীৰ মৈদাম বা সমাধিস্থল বুলি বাউনীমৈদাম আছিল। সেয়ে আজি বামুনীমৈদাম হৈছে। বামুণীমৈদামো নহয়।

উত্তৰ লক্ষীমপুৰৰ চকুৱাখনাক সাধাৰণতে চকুৱাখানা বোলা হয়। শৰ্মাই কিন্তু চকুৱাখানা বোলা শুনিলে অগ্নিশৰ্মা হৈ কৈছিল—ইয়াক ডাক্তৰখানা, উকীলখানা, মোচাফিৰখানা আদিৰ দৰে হোৱা পাইছা নেকি ? সেইটো নহয় নেই। তাৰ মানুহবোৰে প্ৰয়োজন হোৱাত সেই ঠাইত আন এটাৰ মাটি খানি চকুৱাৰে পেলাইছিল বাবে ঠাইডোখৰৰ নাম হৈ পৰিছিল চকুৱাখনা; চকুৱাখানা নহয়।

আৰুকালি তেওঁ এদিন মুহাৰৰ কাষত উহঁতাই লৈ মোক সুধিছিল—বাক কওঁকচোন, বাম আৰু হৰিৰ কোন বেছি ডাঙৰ ?

মই উত্তৰ আচৰিত হৈ মেখলিতে কলোঁ—ৰাম।

[illegible]

[illegible]

হোৱাৰ আগলৈকে মানুহে বেছিকৈ ৰাম নাম লৈছিল। পিছত হৰিয়ে প্ৰাধান্য লভিলে। ৰাম হ'ল যাইকৈ আনন্দৰ, আশ্চৰ্য্যৰ ধ্বনি। 'ইস্ ৰাম, তাত যি উলাহ-উৎসৱ হৈছিল, কি ক'ম? হৰি সাধাৰণতে দুখৰ বন্ধু, দুখৰ ভাব প্ৰকাশ কৰা মাত। 'হৰি হৰি,! তোমাৰ নো এনেহে দশা হ'ল নে? —সেইদেখি বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ সময়ত দুয়োবো নাম একেলগে লোৱাৰ ব্যৱস্থা কৰা হ'ল, আগে ৰাম, পিছত হৰি। যেনে, 'জয় ৰাম বোলা, জয় হৰি বোলা। জয় ৰাম কৃষ্ণ বুলি হৰি বোল, হৰি বোল।'

খাঁটি অসমীয়া শব্দ ব্যৱহাৰ কৰি জতুৱা ঠাঁচৰ অসমীয়া লিখাত আৰু কোৱাত শৰ্মাই সদায় শেন-চকু আৰু শহা-কাণ ৰাখিছিল আৰু কাৰবাৰ ভুল হ'লে তাক তেতিয়াই শুধৰাই দিবলৈ ইতস্ততঃ নকৰিছিল। খোৱা-বোৱা, চাল-চলন, আচাৰ-ব্যৱহাৰ, কথা-বাৰ্তা, সকলো পিনেদি তেওঁ আছিল বাগ্মীবৰ নীলমণি ফুকনৰ ভাষাত 'তালুৰপৰা তলুৱালৈকে' অসমীয়া। আনকি ব্যৱহাৰৰপৰা আঁতৰি যাবলৈ ধৰা শব্দবোৰো তেওঁ ঘঁহি-পিহি ব্যৱহাৰলৈ আনি চকচকীয়া কৰিবলৈ যত্নপৰ হৈছিল। চয়-নিচয় এটা প্ৰমাণ কৰা, উমান পোৱা, আন্দাজ কৰা, গমগতি লোৱা, চন্দুৱা পৰা, ছুটছুটি, গেঙেৰি আদি শব্দৰ ব্যৱহাৰ বৈদুৰ্ধ্বী গদ্যৰ এটা লক্ষণ। তেওঁ এখন সভাত কৈছিল— 'যেই সেই শব্দ য'তে-ত'তে ব্যৱহাৰ নহয়। যেনে, বিয়াগোম, মানে ডাঙৰ। সেইবুলি বিয়াগোম ঋষি নহয়।' ক'বলৈ গ'লে অসমীয়া ভাষাৰ কালিদাস শৰ্মাৰ হাতত স্পষ্টকৈ প্ৰকাশ পাইছিল। তেওঁ গঞা লোকৰ মুখত চলি থকা সাহিত্যত অপাংক্তেয় কথাবোৰ বুটলি আনি জাতত তুলিবলৈ লেখাত ব্যৱহাৰ কৰিছিল। অকল সিমানেই নহয়, বুৰঞ্জীৰ পাততে মাৰ যাবলৈ ধৰা শব্দকো বাছি-বিচাৰি আনি পুনৰ্জীৱন দিছিল। কেতিয়াবা কেতিয়াবা, বিশেষকৈ, ৰাজনৈতিক হিচাপে লেখনী চলোৱা সময়ত, তেওঁ অনেক নতুন শব্দ সাজি লৈছিল। আৰু [illegible], যেনে, ঘূৰণীয়া মেজ-মেল (Round Table Conference), ঘড়ী-বোমা (time bomb), ডুব-জাহাজ (Submarine), লোকাধৰা (Whip), নৌ কুঁৱৰ (navy captain) ইত্যাদি। মুঠতে [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] লেখনী [illegible] [illegible] [illegible] জয়-শতবাৰ্ষিকীত বক্তৃতা দি তেওঁ কৈছিল (৭।১২।৭২)—'হাতী ধৰিলেহে

দাঁতৰ প্ৰকৃত মাপ লোৱা যায়, কাৰণ তাৰ আধা ভিতৰতে থাকে।' সেইদৰে মানুহ মৰিলেহে তেওঁৰ গুণবোৰ প্ৰকট হয়, অন্ততঃ অসমীয়া মানুহে তেতিয়াহে সেইবোৰ বিচাৰি পায়।'

এই প্ৰসঙ্গতে আৰু এটা কথা কওঁ। ১৯৭৭ চনৰ ৩ জুন তাৰিখে গুৱাহাটীৰ উলুবাৰী উচ্চ ইংৰাজী বিদ্যালয়ত জোনাকী সাহিত্য সভাৰ আশ্ৰয়তে একেশটা প্ৰতিষ্ঠানে 'আৱাহন'ৰ সম্পাদক ডাঃ দীননাথ শৰ্মাক সম্বৰ্ধনা জনাইছিল। সেই অনুষ্ঠানত সভাপতিত্ব কৰিছিল বেণুধৰ শৰ্মাই। সভাপতিৰ ভাষণত তেওঁ উঠি পোৱাতে যিকৰা এটা ম'ত কৈছিল—আমাৰ দেশত সম্বৰ্ধনা সম্পৰ্কে এটা বচন থাকে, বোলে, 'জীয়াই থাকোঁতে নিদিলে দাঁতনিৰ কাঠি, মৰিলে সি দিয়ে ছিৰী-আঙঠি'। অসমীয়া মানুহে মৰাৰ পিছতহে পাত ভৰাই ভৰাই লেখে। পিছে শলাগনি বা আদৰণি কিবা দিব খুজিলে জীয়াই থাকোঁতেই দিয়া ভাল। তেতিয়া হলে মানুহজনে বুজে যে তেওঁ কৰা কামখিনি সাৰ্থক হৈছে। ছিৰী আঙঠি মৰমৰ চিন। দিয়াওঁহে ইয়াক দিয়ে। ইও মৰমৰ চিন।

ডাঃ দীননাথ শৰ্মা সম্পৰ্কে তেওঁ নো কিদৰে কৈছিল কি? "—ডাঃ দীননাথ শৰ্মা সাহিত্যিক নহয়, সাহিত্যৰ সেৱকহে: সম্পাদক, এজন প্ৰকৃত সম্পাদক, সাৰ্থক সম্পাদক—যাক আমি ভাল বান্ধনি বুলিব পাৰোঁ। জুতি-লগা আঞ্জা ৰান্ধিব পৰা নিপুণ বান্ধনি।' 'আৱাহন' সম্পৰ্কে তেওঁ কৈছিল—বৰ্ণাশুদ্ধিৰ বাবৰি ফুলেৰে ভৰা তেওঁৰ 'আৱাহন' নাছিল। তেওঁ যদিও 'আৱাহন'ৰ সম্পাদক আছিল, তথাপি কিন্তু সম্পাদকে সম্পাদকে আছে ভেদ।" বান্ধনি ভেদে জুতি বেলেগ। তেওঁৰ 'আৱাহন' আছিল 'আধুনিক পদ্ধতিত' প্ৰকাশ কৰা প্ৰথম অসমীয়া আলোচনী, সেই কালৰ বাবু ৰামানন্দ চট্টোপাধ্যায়ৰ 'প্ৰবাসী'ৰ দৰে।' বেজবৰুৱাৰ 'বাঁহী' আছিল [illegible] ব্যক্তিগত আলোচনী। [illegible] হলেও পিছে [illegible] পাইছিল, [illegible] পঢ়িছিল, [illegible] আলোচনী [illegible] অসমীয়া ভাষা। [illegible]

[illegible] ১৯৭৬ চনৰ [illegible] [illegible] [illegible] গুৱাহাটী [illegible] [illegible] তেওঁৰ ঘৰ। [illegible] মানে পুৰণি [illegible] মাজৰ [illegible]।

বুজাই বুজিব। শৰ্মা ডেতিয়া লেপৰ তলতে শুই আছিল। মই যোৱা বুলি শুনি ধহমহকৈ উঠি বহিল। ওচৰতে শেতেলিৰ দাঁতিত মজিয়াৰ ওপৰত কেবাহি এটাত জুই ধৰা আছিল। মোক তেওঁ চকী এখনত বহিবলৈ দি ক'লে 'মাধৱ জুয়ে বুঢ়াসকলক 'লংজিভিটি' দিয়ে, আয়ুসত চাউল বঢ়ায়' আৰু কলে, 'আজি মোৰ মনটো বৰ প্ৰফুল্ল। মই এটা বহুদিনীয়া পুৰণি ধাৰ শুজিছোঁ। নীলমণি ফুকনৰ ধাৰ। তাহানি মই তেওঁক এটা 'বিহুনীল' দিছিলোঁ। তেওঁ হেৰুৱালে। তাকে মোক খুজি থাকে। মই দিওঁ দিওঁ বোলোঁ—কিন্তু দিয়া নহয়। আজি দি পঠালোঁ। মই সুধিলোঁ—'বিহুনীল' নো কি?' তেওঁ ক'লে, 'কওঁ শুনক। নীলমণি ফুকন মোতকৈ ডাঙৰ। তেওঁ বৃটিছৰ থাচ আমোলত উপজিছিল বুলি নাম পাইছিল নীল (nil), মানে শূন্য; মণি (money) মানে ধন' ধনৰ মোনা শূন্য। ধন নাই যাৰ তেওঁ ছালছিগা ভিকহু। সেই ভিকহুজন ভাৰতৰ বাক কোন? তেওঁ হ'ল দিগবাস শিৱশঙ্কৰ ভোলানাথ। তেওঁ দেৱাসুৰৰ যুদ্ধৰ সময়ত সাগৰ মন্থনত ওলোৱা হলাহল পান কৰি নীলকণ্ঠ হৈছিল। অসমতো 'দৈনিক বাতৰি' ওলোৱা সময়ত দেৱাসুৰৰ যুদ্ধ হৈছিল। এফালে কংগ্ৰেছ অন্যফালে সংৰক্ষিণী দল। কংগ্ৰেছৰ মতে—আমি ভাৰতৰ মানুহ। সংৰক্ষিণীয়ে কয়—আমি ভাৰতৰ হলেও পোনতে অসমৰহে। সেই সময়ৰ 'দৈনিক বাতৰি'ত তেওঁ অসমৰ বিৰুদ্ধে ওলোৱা হলাহল বিষবোৰ নিজে গ্ৰহণ কৰি নীলমণি নীলকণ্ঠ হৈছিল। শ্ৰীহট্ট বিচ্ছেদৰ ভাবে এটা বিষ-লাড়ু আছিল। ইংৰাজৰ আমোলত এপতা ছুট-নেকটাই পাৰি বগা বিলাতী চাহাব বোলোৱা নীলমণিয়ে থদ্দৰ পৰিধিত নীলমণি শঙ্কৰ হৈ ত্যাগী ভোলানাথ ৰূপ লৈছিল। আজি তাকে আকৌ লিখি পঠালোঁ।"।

কথা ভাওনীয়াই কোৱা আৰু অনেক পত্ৰ আৰু তেওঁ লিখা [illegible] ব্যক্তিগত চিঠি আছে। সেইবোৰৰ প্ৰত্যেক উল্লেখ কৰিবলৈ [illegible] নহয়, সেইবিলাক এই গ্ৰন্থত [illegible] প্ৰকাশিত [illegible] একদিন [illegible] মনত [illegible] [illegible] ছুটি ছুটিনাৰ কথা উল্লেখ কৰি বক্তব্য সামৰা যাওক।"

এটা ঘটনাৰ কথা সাহিত্যিক [illegible] অভিনন্দনত ঘটিছিল। অভি- [illegible]

হৈ পাত পাৰি বহিছে। বহি স্ফূৰ্তিৰে যেকেত চপৰিয়াই বাজনিসকলক কৈছে 'দিয়া এতিয়া কি আছে খাবলৈ দিয়া।'

ঠিক এনে সময়তে সেই ঠাইত কোনোবা প্ৰতিপত্তিশালী মন্ত্ৰীৰ প্ৰৱেশ ঘটিল। যোগনিয়াৰ, ভলন্টিয়াৰসকল তেওঁক লৈ ব্যস্ত হৈ পৰিল। তেওঁক আদৰ-সাদৰকৈ বহিবলৈ দি আছুতীয়াকৈ এঠাইত খুৱাবলৈ ঠিকঠাক কৰা হ'ল। এনেতে কাৰোবাৰ চকু শৰ্মা ডাঙৰীয়াৰ ওপৰত পৰিল। স্থিৰ হ'ল যে মন্ত্ৰীৰ লগতে শৰ্মাকো দিয়া ভাল হ'ব। পিছে কথা হ'ল—এতিয়া মেকুৰীৰ ডিঙিত টিলিঙা পিন্ধায় কোনে? তেওঁক মাতিবলৈ যায় কোন? প্ৰাক্তন সভাপতি শৰ্মাৰ প্ৰকৃতি সকলোৱে জানে। শেষত বড়িয়া কলেজৰ অধ্যক্ষ বীৰেন বৰবৰলৈৰ ওপৰতে সেই দায়িত্ব পৰিল। বৰদলৈয়ে তেওঁৰ ওচৰলৈ গৈ ক'লে—'বাইজে আপোনাক মিনিষ্টাৰৰ লগতে সৌ তাতে বহিবলৈ কৈছে।'

কথাষাৰে শৰ্মাৰ যেন জ্বলা জুইত ঘিউহে ঢালিলে। তেওঁ ক'লে—'মিনি-ষ্টাৰ? আজিৰ দিনত কিহৰ মিনিষ্টাৰ আছেহে? আজি অসম স'হিত্য সভাৰ সভাপতিয়েই আটাইতকৈ ডাঙৰ মানুহ। মই নাযাওঁ, যোৱা'।—তেওঁ নগ'ল।

ইটো ঘটনা আছিল এটা পাঁচটকীয়া জেদ। ঘটিছিল কলিকতাত। তেতিয়া শৰ্মা চফল ডেকা। কলেজৰ ছাত্ৰ। মেছত থাকে। তেতিয়া ইং-ৰাজৰ শাসনৰ পূৰ্ণ পয়োভৰ। এদিন কথা-বতৰাত কোনোবা এজনে ক'লে—গ্ৰেট ইষ্টাৰ্ণ হোটেলত ধুতি-চোলা পিন্ধা ইণ্ডিয়ানক সোমাবলৈকে নিদিয়ে—চাহ-জলপান খাবলৈ দিয়া দূৰৰ কথা। শৰ্মাই ক'লে—'কি? ইমান নে? বাজ বাজি মাৰা, মই খাই দেখুৱালে মোক পাঁচ টকা দিব লাগিব'। সেয়ে হ'ল।

শৰ্মাই পিছদিনা ধুতি-পাঞ্জাবী পিন্ধিয়ে হেপ চাই হোটেলত সোমাই এখন চকীত বহি ললে। দূৰৈৰপৰা চাহাব মেনেজাৰৰ তেওঁত চকু পৰিল। তেওঁ আহি কিবাকিবি কৈ অপমান কৰি শৰ্মাক হোটেলৰ পৰা বাহিৰ কৰি দিলে। এতিয়া পিছে উপায়? চাহ খোৱাতো নহ'লেই, তাৰ উপৰি অপমান।

শৰ্মা বাহিৰে বাহিৰে কলিকতাৰ যেজুৰা বজাৰ পালেগৈ। তাতে তাড়াতাড়ি 'সুট' পিন্ধিবলৈ দিয়ে। তাতে তেৰ টকা দি তেওঁ এযোৰ সুট পিন্ধি লৈকে আৰু পোনছাটে গ্ৰেট ইষ্টাৰ্ণ হোটেল পালেগৈ। গোৱাৰে মহল, তাতে এখন [illegible] কৰি থাকিলে খুজি চকীত বহিছে লগে। ইফালে 'খাত খানা কৰা দুই—

কিমান দিনৰ পুৰণা আছিল ঠিক নাই, পেৰেট্ কৰি কঁকালতে এডোখৰ ফাটি গ'লেই! কোনোমতে ঢাকি-ঢুকি লৈ চাহ-জলপান অলপ খাই মেনেজাৰৰ কাউণ্টাৰত পইচা দিবলৈ থিয় হ'লহি। পইচা লৈ মেনেজাৰে 'কেচ-মেমো' দিলে। 'কেচ-মেমো'খন হাতত লৈ তেওঁনো মেনেজাৰক কয় কি? —'হেলো! এম আই নাউ এ ডিফাৰেণ্ট মেন ডেট ইউ হেৰুল্ড জাষ্ট এন আৱাৰ এগো'?—তাকে কৈ তেওঁ ওলাই আহিল। চাহাবে হা-কৰি চাই থাকিল। এনেকুৱা লোকজনেই আছিল বেণুধৰ শৰ্মা।

——

ডিম্বেশ্বৰ নেওগ

(এটি জীৱনালেখ্য)

কবি আৰু সমালোচক ডিম্বেশ্বৰ নেওগ আজি আমাৰ মাজত নাই, কিন্তু তেওঁৰ ছবিটি হলে বহুতৰে মানস-পটত জিলিকি আছে। নেওগক আমি স্বনামধন্য সাহিত্যিক, শক্তিধৰ কবি, বলিষ্ঠ সমালোচক আদি নানা বিশেষণেৰে বিভূষিত কৰিব খুজিলেও তেওঁ কিন্তু সেইবোৰৰ পৰিবৰ্তে সাহিত্যসেৱী বা লেখক আখ্যাটোহে বেছি পছন্দ কৰিছিল। এই সম্পৰ্কে এটা কথা মনত পৰিছে ; ১৯৬৬ চনৰ কুৰি ফেব্ৰুৱাৰীৰ কথা। সেইবাৰ। গুৱাহাটীৰ উলুবাৰীত চিৰকুমাৰ কিউ. টি. ৰহমান চাহাবৰ ঘৰত আবেলি বহা গুৱাহাটী আলোচনা চক্ৰৰ বৈঠকত যোগ দি গৈছিলোঁ। চুবুৰীৰে ডঃ মহেশ্বৰ নেওগৰ তালৈ তেওঁৰ জীয়েকৰ তাৰে দুদিন পিছত হবলগীয়া বিয়াখনৰ যা-যোগাৰত কিবা প্ৰকাৰে হাতেৰে নহলেও অন্ততঃ মুখেৰে—হাত উজান দিব পাৰো বুলি। তেতিয়া বৰাৰ তলত বহি আছিল জ্যেষ্ঠ নেওগ, ওজা সাহিত্যিক ডিম্বেশ্বৰ নেওগ। দুই চাৰিজন অন্যান্য লোক আছিল যদিও তাত ডিম্বেশ্বৰ নেওগ থকা হেতুকে সকলোৱে সতৰ্কভাৱে চুপেচাপে কথা পাতিছিল। মোক দুৱৰপৰা দেখিয়েই জ্যেষ্ঠ নেওগে তেওঁৰ স্বাভাৱিক হাঁহিটি মাৰি কলে—'আহা, আহা, বৰুৱা ; তোমাক আজি ইয়াত দেখিম বুলি ভবা নাছিলোঁ। তুমি গুৱাহাটীত নাই হবলা বুলিহে ভাবিছিলোঁ। তোমাৰ লেখাকে গৈছিলোঁ, লিখিলা।

—নমস্কাৰ। ছাৰ, মানে ?

—ছাৰ, মানে আৰু কি হব ? এবা যত্নিয়া নাইকা, ছিপাৰাব।

—এই, হৃদ্‌রোগৰ [illegible] মই মোৰ [illegible] [illegible]।

—এবা, আই. পি. টিৰ সম্পাদক, অৰু [illegible] [illegible] লিখিছে, আজি [illegible] মোৰো [illegible] কৰ্মজীৱন আৰু জীৱনৰ [illegible]। আমাৰ মনত [illegible] দিলে।

—[illegible] [illegible]। [illegible] সংবাদত [illegible] [illegible] লোকৰ কথা [illegible] পাৰ্ট ঃ এক. কবিসকলৰ আৰু দুই. [illegible]।

—তাৰ মানে তুমি কবিতা আৰু মহিলা উভয়কে ভয় কৰা আৰু বেয়া পোৱা ?

নহয়; দুয়োকে ভাল পাওঁ আৰু দুয়োৰে কথা শুনিব খোজোঁ, কিন্তু দুয়োকে হলে বুজিব নোৱাৰো।

—পিছে মই হলে কবি নহওঁদেই।

—কবি নহয়, কিন্তু কবি, সমালোচক আৰু সাহিত্যিক। একাধাৰতে গুণী, বিশ্ববিশ্ৰুত লেখক, আৰু বহুত।

—ৰবা, ৰবা, চাহ-জলপান খোৱা; তাৰ পিছত কথা পাতিম। বিয়া ঘৰত মুখা-মুখে কথা পাতিব নাপায়। ইয়াকে কৈ তেওঁ চাহ-জলপান দিয়ালে। বিয়াৰ বিষয়ে ড° নেওগ আৰু অন্যান্য দুই-এজন লোকৰ লগত অলপ-অচৰপ কথা পাতিলোঁ। তাৰ পিছত জ্যেষ্ঠ নেওগৰ লগত ভালেখিনি সময় কথা-বতৰা পাতি, উঠি আহিব খোজাত মোক আগবঢ়াই থবলৈ বুলি জ্যেষ্ঠ নেওগো উঠিল। উঠিয়েই নেৰিলে, জোৰ লগা দিলে। কথল এবি-লেও ৰখলে নেৰা হ'ল। কথাৰ মাচতে আহি আহি তেওঁ ত্ৰিবিউন প্ৰেছ পালেহি। তাৰ পিছত মই বিদায় লব খোজাত কলে—'আহা, আহা। আজি বাৰু ঘৰ পোৱাত অলপ পলম হলেও ঘৈণীয়েৰাই তোমাক খং নকৰে, কবিৰ খুজিলে মোৰ কথা কবা। এনেকৈনো কথা পাতিবলৈ বাৰু কেইদিন সুযোগ পাম হে ?— এই বুলি তেওঁ মোৰ হাতত ধৰি পুনঃ বিয়া-ঘৰলৈ লৈ গ'ল। বিয়া-ঘৰত নোসোমালোঁ কিন্তু তেখেতে কোৱা পুৰণি কাহিনীবোৰ শুনি শুনি সেই বাটটোতে তিনি-চাৰিবাৰ টহল দিলোঁ। তাৰ মাজতে কোৱা এটি কথা মোৰ আজিও লঘনে মনত পৰে। তেওঁ কৈছিল—'সাহিত্যিক বা কবি বুলি মই নিজে ধৰাই নকৰো; আনে বুলিলেও মোৰ যে গা উঠে এনে নহয়। প্ৰকৃততে মোক কোনোবাই লেখক বা সাহিত্য-সেৱী আখ্যা দিলেহে ভাল পাওঁ, কাৰণ যথাৰ্থতে মই লেখকহে মাত্ৰ। প্ৰেৰণৰ কাৰণে সেৱাৰ আকাংক্ষাতকৈ ডাঙৰ আনন্দ নাই। যেনি সেৱা হয় মোৰ লেখনীৰে। গণ্ডিৰে মই লেখকত বাহিৰে আৰু একো নহওঁ!

মই উত্তৰ দিছিলোঁ—তেনেহলে কেতিয়াবা যদি অসমৰ্থকৰ লগা হলে মই এই কথা কম, আৰু নিজে নৈলো নাপাব। কম কিয়—বাণিজে লিখিছো।

লিখিবা। তুমি কিয়? মই নিজেই কেতিয়াবা এই কথা লিখিম।

সেইদিনা কি আৱেগত জানো নেওগ ৬ ঘণ্টামান তেওঁৰ অতীত জীৱনৰ সুখ-দুখৰ অনেক কাহিনী একে লেঠাৰিয়ে কৈ গৈছিল। এইদৰে আৰম্ভ কৰিছিল—'তোমাক মই আজি আমাৰ দেশৰ বিখ্যাত লোক কিছুমানৰ বিষয়ে তুমি নজনা কিছুমান কথা কম। তুমি শুনিবা আৰু লাগিলে লিখিবলৈ শুনিবা; কিন্তু তাৰ পিছত হজম কৰি থবা, ক'তো নিলিখিবা। কাৰণ, সেই লোকসকল এতিয়া যমৰ আলহী হৈ আছেগৈ; ইহ জগতত নাই। তেওঁলোকৰ দোষবোৰ তেওঁলোকৰ লগতে যাওক, গুণবোৰহে আমাৰ অনুসৰণৰ বস্তু।'

ইয়াকে কৈ তেওঁ পোনতে পদ্মনাথ গোহাঞিবৰুৱাৰ লক্ষীমপুৰত থকা ভেৰোণীয়া ঘৰৰ কাহিনী বৰ্ণালে। এই সন্দৰ্ভত হেনো দুয়োৰো মনোমালিন্য ইমান পাইছিলগৈ যে সাহিত্য সভাৰপৰা পুৰস্কাৰ পোৱা কবিতা সংকলন 'কাব্য প্ৰতিভা'ত গোহাঞিবৰুৱাই তেওঁৰ কবিতা প্ৰকাশ কৰিবলৈয়ে পোনতে অনুমতি দিয়া নাছিল। পিছে শৰৎচন্দ্ৰ গোস্বামী ডাঙৰীয়াৰ মধ্যস্থতাত যেনিবা সেইটো হবলৈ নাপালে। সেই প্ৰসঙ্গত আৰু অনেক লোকৰ কাৰ্য্যাৱলীৰ ওপৰত নেওগে উপভোগ্য পাৰ্শ্বজ্যোতি পেলাইছিল।

তাৰ পাছত আহিল হেমচন্দ্ৰ গোস্বামীৰ 'কামৰত্ন' তন্ত্ৰ পুথিৰ ইংৰাজী অনুবাদৰ কাহিনী। সেই সম্পৰ্কেও তেওঁ ভালকৈ এবকলা মেলিলে। পিছত চন্দ্ৰকুমাৰ আগৰৱালাদেৱে তেওঁক স্নেহাধিক্যৰ হেতুকে কেনেকৈ পোষ্যপুত্ৰৰ আসনো যাচিছিল তাৰ বৰ্ণনা দিছিল। ইও কম চমৎকাৰ নাছিল। নেওগে তেওঁৰ সেইদিনাৰ বক্তব্য সামৰিছিল বেজবৰুৱাৰ—সাহিত্যৰথী বেজবৰুৱাৰ অনাবিল স্নেহৰ কথাৰে। বেজবৰুৱাৰ উদগনি আৰু আশীৰ্বাদেই হেনো আছিল নেওগৰ সাহিত্য-জীৱনৰ অক্ষয় উৎস। আগৰৱালা আৰু বেজবৰুৱা দুয়োকে তেওঁ পথ-প্ৰদৰ্শক সাহিত্য-গুৰু ৰূপে স্বীকাৰ কৰিছিল।

ওপৰত উল্লেখ কৰা [illegible] নেওগৰ সাহিত্যিক [illegible] প্ৰত্যাখ্যানৰ বিষয়ে উল্লেখ কৰা হৈছে। নেওগে পিছত এই বিষয়ে [illegible] কৰিছিল। 'দুই দিনৰ [illegible]'—এই বিষয়ে [illegible] চন্দ্ৰ [illegible] 'আমাৰ [illegible] লিখিছিল [illegible] চিনাকি দিয়া মানুহ মই লগ পাওঁ; মই আচৰিত হওঁ—কিয়নো মই [illegible]

কথা ভাবিব নোৱাৰো। যি লিখে তেওঁ লেখক; তেওঁৰ লিখাখিনি প্ৰকৃততে সাহিত্য হয় নে নহয়, সি আনৰ বিচাৰ সাপেক্ষ কথা। সেই বাবেই আনে হলেও মোক সন্তীযাভাৱে সাহিত্যিক বুলি চিনাকি দিয়াটো মই ভাল নাপাওঁ; কিয়নো মই লিখোঁ ঘাইকৈ আত্ম বিনোদনৰ কাৰণেহে; প্ৰকাশ কৰো অনিশ্চিত, অজানিত কোনো সহানুভূতিশীল পাঠকৰ উদ্দেশ্যে; তাৰ সাহিত্যিক মূল্য কিবা আছেনে নাই তাৰ বিচাৰ 'বিপুলা পৃথিৱী আৰু নিৰৱধি কালৰ হাতত।'

নেওগ আছিল এজন দুৰ্ঘোৰ আকোঁৰগোজ প্ৰকৃতিৰ লোক। মনত যিটো খেলায় আৰু মনে-প্ৰাণে যিটো ঠিক বুলি ভাবে তাক তেওঁ সমগ্ৰ দুনিয়াই এৰিবলৈ কলেও নেৰে, লাগিলে সিফালে বামুণেই মৰক বা লগুণেই ছিগক। তেনে ভাবৰ চিধা বাটেদি বাট বুলি থাকোঁতে যদি ক'ৰবাত উজুটি খাব খোজে তেনেহলে এবাৰ নহয় দুবাৰেই তাত লাগিলে উজুটিয়াব, উজুটিয়াই আঙুলি ছিণ্ডিব, তথাপি বেঁকা বাট নলয় বা তেওঁৰ বাট নেৰে। সেই হেতুকে ড° কাকতিৰ দৰে লোককো তেওঁ কোনো কোনো ক্ষেত্ৰত খুঁচিয়াই লৈ যুদ্ধং দেহি বুলি ফেপেৰি পাতি যুদ্ধলৈ আহ্বান জনাইছিল। ড° কাকতিৰ বিচাৰত শ্ৰেষ্ঠ আখ্যা পোৱা বিহগী কবি ৰঘুনাথ চৌধাৰী আৰু সৌৰৱণিৰ কবি যতীন্দ্ৰনাথ দুৱৰাৰ কবিতাবো তেওঁ অল্প দিন কিছুমানত ভালকৈয়ে পোষ্ট পেলাই বিচাৰ-বুদ্ধিৰ তীক্ষ্ণতাৰ পৰিচয় দিছিল। এই সূত্ৰতে তেওঁৰ কবি চৌধাৰীৰ লগত চুচুৰীয়াকৈ দুই-একোখন খণ্ডযুদ্ধ নলগাকৈও নাছিল। দুয়োৰো প্ৰতি দুয়োৰো কিন্তু আন্তৰিক শ্ৰদ্ধা অটুট আছিল।

আত্ম-নিৰ্ভৰশীলতা আৰু কৰ্মব্যস্ততাৰ কিন্তু নেওগ আছিল এটা জীৱন্ত উদাহৰণ। দিনত যোল ঘণ্টাকৈ কাম কৰিছিল বুলি তেওঁ নিজেই হকে গৌৰৱ অনুভৱ কৰিছিল। তাৰ জননীৰ সেৱাৰ কাৰ্য্যতেই তেওঁৰ ব্যস্ততা ঘাইকৈ নিবদ্ধ আছিল। সাহিত্যৰ সমল সংগ্ৰহ কৰাত আৰু ঘাইকৈ অসমীয়া সাহিত্যৰ উৎকাল [illegible] কৰিবলৈ যত্ন কৰাত তেওঁৰ লগত সমানে [illegible] [illegible] পৰা সাহিত্যিক কেইজন আছে—ভাবিবলগীয়া। [illegible] অসমীয়া সাহিত্যৰ বুৰঞ্জী ৰচনাত দেৱেন্দ্ৰনাথ বেজবৰুৱাই যি কাম কৰিছিল, আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জী সংকলনত নেওগে তাতকৈ কোনো গুণে কম কৰা নাছিল। কমলাকান্ত ভট্টাচাৰ্য্য, লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ [illegible], [illegible]

ৰায়চৌধুৰী প্ৰভৃতি স্বদেশহিতৈষী নেতাসকলৰ লগত অসম আৰু অসমৰ উন্নতি সম্পৰ্কীয় চিন্তাত নেওগ আছিল একে ধৰণৰ ভাবাপন্ন সাহিত্যিক। অসম সাহিত্য সভাৰ দ্বাত্ৰিংশৎ অধিৱেশনৰ সভাপতিৰ অভিভাষণৰ মূল মন্ত্ৰৰূপে তেওঁ প্ৰচাৰ কৰিছিল—'মৰে অসম জীয়ে কোন? জীয়ে অসম মৰে কোন?'

নেওগৰ জীৱন যাপনৰ প্ৰণালী আছিল সদায় সৰল আৰু অনাড়ম্বৰ। নিজৰ আদৰ্শতে তেওঁ পত্নীকো অনুপ্ৰাণিত কৰি ঘৰখন এখন আশ্ৰমত পৰিণত কৰিছিল। তেওঁৰ পত্নী আছিল সুসাহিত্যিক বেণুধৰ ৰাজখোৱাৰ জীয়াৰী। হাকিমৰ দুহিতা হৈও তেওঁ নেওগৰ উপযুক্ত গৃহিণী হব পৰাটো কম দক্ষতাৰ কথা নাছিল। নেওগে নিজেই কৈছে—'মাহিলী ৭৫০ টকীয়া উপাৰ্জনৰ ঘৰখনৰ শূন্য এটা এৰি ৭৫্ টকীয়া শিক্ষকৰ ঘৰ সোমালহি মোৰ ঘৈণী। ভাই-ভাগিনহঁতৰ শিক্ষা আৰু বুঢ়া আই-বোপাইৰ ভৰণ-পোষণ মোৰ মূৰৰ ওপৰত আছেই, ইফালে কোনো ফালৰপৰা আৰ্থিক অৱলম্বন গ্ৰহণ নকৰাকৈ চলা আমাৰ যুটীয়া প্ৰতিজ্ঞা। এনে পৰিস্থিতিত আমি টনা-আজোৰাকৈ কি দৰে চলিছিলোঁ আজি ভাবি নিজে বিস্মিত হওঁ। × × আমাৰ নীতিৰ ভিতৰত আছিল যিখিনি ঘৰুৱা কাম নিজ হাতে কৰিব পাৰি তাত আনৰ সহযোগ নিবিচৰা। অসহযোগ আন্দোলনত ফাটেক নাখালেও স্বাৱলম্বনৰূপে কোৰ-কুঠাৰ মৰাৰ উপৰি কলেজৰ জীৱনৰপৰা আজিলৈকে নিজৰ সাজ-কাপোৰ মই নিজে ধুই লওঁ।' (মোৰ জীৱন-ৰহস্য; নীলাচল; ৪ৰ্থ বছৰ; দ্বিতীয় সংখ্যা)।

লক্ষ্যটোলৈ টোঁৱাই আগবাঢ়ি যাওঁতে বাটৰ খিখিনিবোৰলৈ অনেক সময়ত নেওগে ভাবিবলৈ টান পাইছিল। সেইবাবে তেওঁৰ লগত মানুহৰ সঘনে তৰ্কযুদ্ধ হৈছিল। আনে ভাল বোলা, বেয়া বোলাটো তেওঁৰ ভ্ৰুক্ষেপ নাছিল। এটি সৰু ঘটনা উল্লেখ কৰা যাওক। ১৯৪৭ চন মাৰ্চৰ কথা। নেওগ গৈছিল ছিলঙলৈ নিজৰ কিবা প্ৰয়োজনত। তেওঁ গৈ আলহী আছিল ডাঃ জীৱকান্ত শইকীয়াৰ ঘৰত। ডাঃ শইকীয়া তেতিয়া লাইটুমুখৰ এটা ভেৰোণীয়া ঘৰত থাকে। পিছদিনা পুৱা নেওগ ঘৰলৈ উভতিব। সেইদিনা ৰাতি দুয়োটাকৈ আহি মেজত ডাঃ শইকীয়াৰ লগত গল্প-গুজৱ কৰি তেওঁৰ লগে আহাৰ খালে। তাৰ পিছত বেছিপৰ কথা-বতৰাত সময়টো বিশ্ৰামৰ

কাৰণে তেওঁৰ বাবে আত্মীয়াকৈ মজুত কৰি ৰখা কোঠালিত সোমাই শীঘ্ৰে টোপানত পৰিলগৈ। মেল৷ দুৱাৰ কাণি-দুৱৰী হৈ মেলাই থাকিল, বিজুলী বাত্তিও জ্বলিয়ে থাকিল। কিছু সময়ৰ মূৰত ডা° শইকীয়াই নেওগৰ কোঠালিৰ ফালে চাই দুৱাৰ অলপ খোলা হৈ থকা দেখি প্ৰথমে বাহিৰৰপৰাই নেওগক মাতিলে। উত্তৰ নাপাই তেওঁ এখোজ-দুখোজকৈ কোঠাৰ ভিতৰলৈ সোমাই গ'ল। তাত দেখে পেণ্ট সলাই পিন্ধিবলৈ দিয়া ধুতিখন চকীৰ ওপৰতে পৰি আছে। সিফালে মেজৰ ওপৰত থোৱা গৰম পানীৰ পাত্ৰও অকণো খালী হোৱা নাই। তেওঁ তেতিয়া আঠুৱাখন অলপ দাঙি, লেপখন কিঞ্চিৎ গুচাই দেখে নেওগ ভৰ টোপনিত। ডিঙিত বন্ধা 'নে'ক-টাই' ডিঙিতে আছে। গাৰ কোট চোলাটো মাত্ৰ খুলি আঠুৱাৰ তলত গাৰুৰ কাষতে থৈছে। ডা° শইকীয়াই তেওঁক তেতিয়া নজগোৱাকৈ থাকিব নোৱাৰিলে। মাতি স্খলিত নেওগে কলে—'এৰা, মই অথনিয়ে আপোনালোকক কৈছিলোঁ৷ নহয়—কাইলৈ মই ৰাতিপুৱাৰ মটৰতে যাম। কাপোৰ খুলিলে পুৱা পলম হবও পাৰে বুলি মই এনেকৈ শুইছোঁ।।—ডা° শইকীয়া আচৰিত হ'ল। তেওঁ কলে—'আপোনাক ৰাক মই নিজে মোৰ গাড়ীত নি মটৰত তুলি দি আহিম। আপুনি সেই বিষয়ে চিন্তা নকৰিব। এতিয়া উঠি কাপোৰ বদলাই শোৱক'। নেওগে তাকে কৰিলে। এয়ে আছিল ভিবেশ্বৰ নেওগ।

ওপৰত কোৱাৰদৰে লক্ষ্যটোত মাত্ৰ সদায় নজৰ ৰাখি নেওগে আজীৱন প্ৰায় অকলে অকলেই যুঁজিলে। নিয়তিক তেওঁ ক'তো সহজে তেওঁৰ বিৰুদ্ধে জয় লাভ কৰিবলৈ এৰি দিয়া নাছিল। জীৱন-ৰহস্যত তেওঁ কৈছে 'মোৰ দৃঢ় সংকল্প সত্বেও জীৱনত সদায় একতীয়া বাটেই, চলিব লাগিছো, তথাপি নিয়তিৰ জয় মই কেতিয়াও নিৰ্বিবাদে ঘোষণা কৰিবলৈ দিয়া নাই।'

স্বভাৱপৰা নেওগ আছিল একাচেকা বিধৰ লোক আৰু অকলশৰীয়া প্ৰকৃতিৰ। কোনোবাই তেওঁৰ মন নয় বুলি, নব—তেওঁ, হবে আৰু, মন নিবিচাৰে। এই প্ৰকৃতি তেওঁৰ শেষ বয়সলৈকে আছিল। তেওঁ তাৰ যুক্তিও দিছিল—'প্ৰত্যেকে নিজৰ নাও নিজে বাই নিব লাগিব; আনে নাও মাৰি কোনোবাই বাই নিব যেনেকৈ নোৱাৰে, তেনেকৈ নোৱাৰে [illegible] [illegible] [illegible] নিজৰে যুঁজিব'।

নেওগে জীৱন-সমুদ্ৰ মন্থন কৰি অভিজ্ঞতাৰ সঞ্জীৱনী মণি গোটাচেৰেক লাভ কৰিছিল। তাকে তেওঁ এইদৰে কৈছে—'মোৰ প্ৰথম সিদ্ধান্ত হ'ল—গাইগুটীয়া জীৱনৰ সুখ-দুখ বা উত্থান-পতনৰ প্ৰতি নিয়তিৰ কোনো দৃষ্টি নাই; সত্য-অসত্য বা পাপ-পুণ্যও মানুহৰ নিজা কথা, সৃষ্টি বা সৃষ্টিকৰ্তাৰ লগত তাৰ বিশেষ সম্বন্ধ নাই: সেইকে এই নৈৰ্ব্যক্তিক শক্তিৰ কাষত ঠেঁহ পতা মিছা। দ্বিতীয়তে, পত্নী বা পুত্ৰ-পুত্ৰী প্ৰভৃতি সকলো সম্বন্ধ আকস্মিক; সংসাৰ সমুদ্ৰত প্ৰত্যেকে জীৱন-ভুৰা বাই যাওঁতে কোনোবা কাৰোবাৰ কাষ চাপে আৰু পৰস্পৰ আদৰ-সম্ভাষণ জনায়, ইমানেই। তৃতীয়তে, মানুহৰ একমাত্ৰ কৰ্তব্য আগত পোৱা কাম কৰি যোৱা—ইত্যাদি।'

নিজে এজন খ্যাতনামা শিক্ষক আছিল যদিও আধুনিক স্কুল-কলেজীয়া শিক্ষা পদ্ধতিৰ ওপৰত তেওঁৰ আস্থা নাছিল। স্ত্ৰীশিক্ষা তেওঁ সমৰ্থন কৰিছিল যদিও তিৰোতাই চাকৰি কৰাটো তেওঁ সাধাৰণতে সমৰ্থন নকৰিছিল। সেইবাবে নিজৰ ল'ৰা-ছোৱালীক শিক্ষা দিবলৈ 'জ্ঞানাশ্ৰম' বুলি ঘৰতে এখন পঢ়াশালি খুলিছিল। এনেবোৰ কাৰ্য্যৰ বাবে তেওঁক কিন্তু কল্পনা-বিলাসী বুলিব নোৱাৰি; কাৰণ চিন্তাৰ লগত কামৰ বজিতা খুৱাবলৈ মাথোন তেওঁ এনেবোৰ কাম কৰিছিল। অনেক বৰলোকে নিজৰ ল'ৰা-ছোৱালীক 'পাব্লিক স্কুল'ত দি বুনিয়াদী বিদ্যালয়ৰ উপকাৰিতাৰ বিষয়ে বক্তৃতা দি ফুৰে। নেওগ তেনে প্ৰকৃতিৰ লোক নাছিল।

সমাজে মানুহ গঢ়ে আৰু মানুহেও সমাজ গঢ়ে—ই এটা চিৰন্তন সত্য। এটাক বাদ দি আনটো থাকিব নোৱাৰে। সমাজৰ নানা প্ৰকাৰ নিষ্পেষণৰ প্ৰভাৱত এই সত্যটো নেওগৰ জীৱনত অন্ত ৰূপেহে প্ৰতিভাত হৈছিল। তেওঁৰ মতে 'পৃথিৱীৰ মাধ্যাকৰ্ষণৰ দৰে সমাজৰো মধ্যাকৰ্ষণ শক্তি আছে; ই সমাজত কাকো সহজে ওপৰলৈ নিনিয়ে, আৰু আটাইকে তললৈ টানে।' তেওঁৰ উক্তিটিও উলামূলাকৈ দলিয়াই পেলাব নোৱাৰি। মহৎ লোকসকলে সদায় সমাজৰ প্ৰতিকূল অৱস্থাৰ লগত দুৰ্ঘোৰ সংগ্ৰাম কৰিহে আত্মপ্ৰতিষ্ঠা লাভ কৰি আহিছে।

কেতিয়াৰ লেখকীয় ধৰায় চিন্তা-কেঁহা [illegible] [illegible] আছিলেই। [illegible] লোকে [illegible] খোজ কাঢ়ি যাব পাৰিলে [illegible] [illegible] [illegible] লাগি নিজৰ সুখ পোৱাৰ দৰে [illegible] [illegible]

কোনো লোক বা বিষয়ৰ প্ৰতি চোকা মন্তব্য একোটা নিৰিয়াকৈ কথা কৰলৈ বা লিখিবলৈ টান পাইছিল। উদাহৰণ, যেনে, বন্ধু-বান্ধৱে কয়—ধৈৰ্য্য ধৰিবা। —মই কওঁ—ধৈৰ্য্যৰ বাহিৰে আন যিহকে কোৱা মই ধৰিব পাৰিম। × × সভাপতিৰ আসন অলঙ্কৃত কৰা বুলি অসমীয়া বাক্যালঙ্কাৰ এটি সততে শুনিবলৈ পোৱা যায়। 'অলঙ্কাৰ' শব্দটোৰ মূলেই হ'ল 'অলম্ অৰ্থাৎ নিষ্প্ৰয়োজন; পাছে সভাপতি হৈ কাম কৰাটোৱে 'অলম্' নে সভাপতি হোৱাটোহে 'অলম্' এই সম্পৰ্কতো 'বেদাঃ বিভিন্নাঃ স্মৃতিয়ো বিভিন্নাঃ।' (পৰম্পৰাৰ মৰ্য্যাদা—অসম বাতৰি ১৪ জুলাই, ১৯৬৫)।

সাহিত্য-সেৱাত নেওগৰ আদৰ্শ আছিল সাহিত্যৰথী বেজবৰুৱা আৰু অগ্নিকবি (বহুতৰ মতে অগ্নিঋষি) কমলাকান্ত ভট্টাচাৰ্য্য। ১৯৩৮ চনত তেওঁ 'অসমীয়া সাহিত্যৰ জিলিঙনি' বোলা বহুকষ্টে প্ৰণয়ন কৰা পুথিখন নিজে ছপাবলৈ গৈ ধনৰ অভাৱত ভি. পি. মোকোলাব নোৱাৰি যিদৰে অ'ৰপৰা ত'লৈ উধাতু খাই লৰি ফুৰিবলগীয়া হৈছিল, তাৰ বিৱৰণ পঢ়িলে তেওঁৰ মনৰ দৃঢ়তা উপলব্ধি কৰিব পাৰি। অৰ্থ-সংগ্ৰহ কৰি কোনোমতে ভি. পি.টো মোকলাই তেওঁ এইদৰে স্বস্তিৰ নিশ্বাস পেলাইছিল—'কমলাকান্ত, লক্ষ্মীনাথ প্ৰভৃতিৰ ত্যাগৰ তুলনাত মোৰ এনেবোৰ কষ্ট অতি নগণ্য; কিন্তু তাৰ দ্বাৰা তেখেতসকলৰ আত্ম-দানৰ তৰ্পণ কৰা হৈছে বুলি নিজক আশ্বাস দিওঁ।' (সাহিত্যত আমিষ ভোজন, অসম বাতৰি, ১০।৪।৬৬)। এনে কষ্টৰ মাজতো নেওগে লিখনী এৰা নাছিল, কাৰণ তেওঁ নিলিখি নোৱাৰিছিল। বহুত অসমীয়া লেখকৰ মনৰ খেদ তেওঁৰ কাপেদি এঠাইত ওলাইছে—'সেইদেখি কেতিয়াবা ভাবোঁ আৰু দুই-এক বন্ধু-বান্ধৱকো কওঁ, মই যেন তুনাই লেখক হৈ জন্ম নলওঁ। কিন্তু কোনে জানে মোৰ কৰ্মবাসনাত কি লাগি আছে! × × বন্ধু-বান্ধৱৰ সহানুভূতি আৰু উৎসাহ-উদ্দীপনিত মই লিখোঁ, কিয়নো নিলিখি মই শান্তি নাপাওঁ।'

সাধক ডিম্বেশ্বৰ নেওগৰ জন্ম হৈছিল ১৮৯৯ চনত; তেওঁ স্বৰ্গী হ'ল ১৯৬৬ চনত; বয়সৰ লেখত তেওঁৰ আয়ুস আছিল মাত্ৰ ৬৭ বছৰ; কিন্তু অসমীয়া সাহিত্যৰ গল্প, পদ্য, ইতিহাস, ভাষাৰ বুৰঞ্জী আদি বিভিন্ন বিভাগত তেওঁৰ দান লক্ষ-বৰ [illegible] পূৰি হ'ব। বিবেক লিখিছিল [illegible] তেওঁৰ বৈশিষ্ট্য এৰা পৰিছিল, [illegible]

বৈশিষ্ট্য আৰু প্ৰকাশৰ বৈশিষ্ট্য। সাহিত্য আৰু ভাষা সম্পৰ্কে তেওঁ প্ৰকাশ কৰা দুই-একোটা মন্তব্য এই ক্ষেত্ৰত উল্লেখ কৰা যায়। সদায় সিদ্ধহস্ত সাহিত্যিকসকলেও ব্যৱহাৰ কৰি থকা কিছুমান শব্দৰ ভুল ব্যৱহাৰলৈ আঙু-লিয়াই তেওঁ কয়—'অনতিপলমে' বহুতে লিখে। তেনেকৈ লিখিবলৈ যোৱা পদুমৰ ঠাইত গোলাপ ফুল লগোৱাৰ দৰে আঁপচু। (অনতি সংস্কৃত শব্দ, পলম অসমীয়া শব্দ।) তেনে আৰু কিছুমান ভুল—'ৰাম-ধনু'ক 'ৰামধেনু' লিখা, 'বাধা'ক 'বেধা' লিখা, 'কথা-চিত্ৰ'ৰ ঠাইত 'বোল-ছবি' লিখা 'মন-যোগ'ৰ ঠাইত 'মনোযোগ' লিখা-ইত্যাদি। নেওগৰ মতে 'বান্ধনী' শব্দৰ পুংলিঙ্গ বান্ধনি নহয়, কাৰণ বন্ধন কামৰ কৰ্ত্তাকে বান্ধনী বোলে। তেনেকৈ অসমীয়াত কুকুৰ, মেকুৰী, কাউৰী, বগলী, চিলনী, ছাগলী আদি শব্দ উভয় লিঙ্গ। তেনেকৈ 'শিয়ালি' শব্দও আদৰ অৰ্থত 'ই' যোগ হৈ হৈছে, শিয়ালৰ স্ত্ৰীলিঙ্গ নহয়, যেনে, 'শিয়ালি পালেগৈ ৰতনপুৰ,' 'শিয়ালি এ নাহিবি ৰাতি'। আকৌ তেওঁ কয়—'সংস্কৃতত বচন তিনিটা, প্ৰাকৃতত দুটা, অসমীয়াত মাত্ৰ এটা। অসমীয়াত সেই এক বচনতে দুই সংখ্যা বুজোৱা দ্বি শব্দ লগাই দ্বিবচন (যেনে, গৰুহাল) আৰু বহুবাচক শব্দ লগাই (যেনে, গুৰুসকল) বহুবচন কৰা হয়। বিভক্তিও তেনেকৈ অসমীয়াত ছয়টাহে; পঞ্চমী বিভক্তি অসমীয়াত নাই, ষষ্ঠীৰ লগত 'পৰা' বোলা এটা স্বকীয়া শব্দ লগাই পঞ্চমীৰ ভাব বুজোৱা হয়।' আৰু তেওঁ লিখে 'অন-অসমীয়া' (অনা-অসমীয়া নহয়), 'অন-তাঁৰ (অনা-তাঁৰ নহয়)। এনেবোৰ কাৰ্য্যত গতানুগতিকতাৰ-পৰা আঁতৰি গৈ তেওঁ যে মৌলিক চিন্তাৰহে পৰিচয় দিছিল এনে নহয়, সবল লেখনীৰে নিজৰ ফালৰপৰা প্ৰত্যেক যুক্তিও আগ বঢ়াইছিল। আনকি 'অসম সাহিত্য সভা পত্ৰিকাত তেনে ধৰণৰ আলোচনাৰ বাবে এটি নতুন অধ্যায় আৰম্ভ কৰিবলৈও তেওঁ দিহা-পৰামৰ্শ আগ বঢ়াইছিল।

অসম সাহিত্য সভাৰ সভাপতিৰ আসনৰপৰা প্ৰচাৰ কৰা নেওগৰ দুই-চাৰিটা বাণীয়ে চিৰকাল চিন্তাৰ সকল যোগাব; যেনে, '[illegible] যি বস্তু [illegible] পিন্ধিছিল সেয়ে [illegible]' বা '[illegible]'। [illegible] 'x [illegible] বুলি এটা বস্তু নাই,' সি [illegible] মাত্ৰ। x x একোটা স্মৃতি-চিহ্নই যেনে '[illegible]' [illegible] বুলি [illegible] অকুতাই তেনে কৰিব নোৱাৰিব পাৰে। x x [illegible]

সম্পন্ন লেখকৰ বাবে বাধাইহে প্ৰকৃত উদগনি। × × কেৱল বতৰ চাই কঠিয়া পৰাটো সাহিত্যিকৰ লক্ষণ নহয় × × প্ৰকৃত সাহিত্য-প্ৰেৰণা সাহিত্যিকৰ গাৰ স্বাভাৱিক তাপহে, পাল-জ্বৰ নহয়।' ইত্যাদি।

প্ৰকৃত সাহিত্যিকৰ লক্ষণ সম্পৰ্কে কোৱা উপৰোক্ত শেষৰ বচনশাৰী নেওগৰ গাত সম্পূৰ্ণৰূপে খাটিছিল। সেয়েহে তেওঁ মই লিখোঁ কিয়' প্ৰবন্ধত নিজৰ অন্তৰ খুলি কৈছিল—'মই এইটো সদায় অনুভৱ কৰোঁ—অসমীয়া জাতিৰ ভূত-ভৱিষ্যৎ, সুখ-দুখৰ লগত মোৰ প্ৰাণ গঁথা আছে; অসমীয়া ভাষা-সাহিত্যৰ উন্নতি মোৰ হেপাহৰ ধন। সেইহে মনত পৰা কালবেপৰা মৌলিক ৰচনাৰ বাহিৰেও ইংৰাজী প্ৰভৃতি ভাষাত সুন্দৰ কবিতা বা জ্ঞান-বিজ্ঞানৰ কথা পালেই ততালিকে তাৰ ভাঙনি কৰিছিলোঁ আৰু অসমীয়া সাহিত্যৰো মৌলিক সৌন্দৰ্য্য ফঁহিয়াই দেখুৱাবলৈ যত্নত আছিলোঁ।'

নেওগ আছিল প্ৰথমে এজন অসমীয়া, তাৰ পাছতহে ভাৰতীয়। দেশ-প্ৰেম তেওঁৰ মনত পোন-প্ৰথমে জাগি উঠিছিল নিজৰ গাঁওখনকে কেন্দ্ৰ কৰি। charity begins at home, বোলে, ঘৰত ওপজা প্ৰেমহে গৈ পৰতো বিয়পে। 'মোৰ গাঁও' বোলা কবিতাত (ইন্দ্ৰধনু) তেওঁ প্ৰাণঢালি প্ৰকাশ কৰিছিল—

কমাৰকুচীয়া মোৰ—সৰু গাঁওখনি—ব্ৰহ্মাণ্ডৰ ক্ষুদ্ৰ ভাঁড়াৰ;
ইয়াতে শৈশৱ লীলা—ইয়াতে এদিন মোৰ কোনোবা শৰৎ ৰাতি—
যৌৱনৰ ধীৰ জাগৰণ। ইত্যাদি।

নেওগে কৈছিল 'অসমৰ উন্নতি সাধনৰ ভিতৰেদিয়ে আমি ভাৰতৰ উন্নতি সাধিব লাগিব; জগতৰ ভিতৰত অসমক ধনে-ধান্যে, মানে-মহত্বে এখন আদৰ্শ ৰাষ্ট্ৰ কৰি গঢ়ি তোলাই আমাৰ একমাত্ৰ প্ৰধান লক্ষ্য উচিত, আৰু তেতিয়া হলেই ভাৰতৰ প্ৰতি এক শ্ৰেষ্ঠ সেৱাৰ কাৰ্য্য কৰা হব।' (সাহিত্য সভাৰ সভাপতিৰ অভিভাষণ)। এই বিষয়ত তেওঁ আছিল অগ্নিকবি কমলাকান্ত ভট্টাচাৰ্য্য, অসমকেশৰী অম্বিকাগিৰী, কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ, সাহিত্যৰথী বেজবৰুৱা আদি নেতা সাহিত্যিকসকলৰ উত্তৰাধিকাৰী।

নেওগক [illegible] অৱধি [illegible] আছিল। [illegible] সোনাৰ লোখাবিহে তেওঁ চাকৰিত সোমাইছিল। শিক্ষা অনুশীলনাৰ [illegible] চাকৰি কৰি উঠি [illegible] যৌৱনৰ [illegible]

চাকৰিৰ জীৱন 'নকৰৰ' (চাকৰৰ) জীৱন। শিক্ষক হিচাপে তেওঁ জীৱনত কৃতিত্ব লভিছিল, কিন্তু তথাপি তেওঁ নিজে কৈছিল যে প্ৰকৃত শিক্ষকৰ উৎসৰ্গিত জীৱন যাপন কৰা শিক্ষক শতকৰা এজনো পাবলৈ টান। নিজৰ বিষয়েই তেওঁ কৈছিল—'একুৰি বাৰ বছৰ কাল বিভিন্ন স্তৰত শিক্ষকতা কৰিলোঁ, কিন্তু তাৰ ভিতৰত একুৰি বাৰ ঘণ্টাও মোৰ ভাল নগ'ল।'

অনেক কামত, বিশেষকৈ সাহিত্যৰ অনেক ক্ষেত্ৰত নেওগ আছিল বাট-কটীয়া। উদাহৰণ তেওঁৰ 'আকুল পথিক' নামৰ পুথি প্ৰকাশ। ১৯২০ চনৰ কথা। তেওঁ তেতিয়া কলেজীয়া ছাত্ৰ। বিহু-গীত, হুঁচৰি গীতৰ এই পুথি ছপোৱাৰ বাবে তেওঁক বহুতে নিলাজ-সাহিত্যিক বুলি মুখৰ আগতে ইতিকিং কৰিছিল। কিন্তু ইফালে ছয় মাহৰ ভিতৰতে 'আকুল পথিক'ৰ দ্বিতীয় সংস্কৰণ ওলাইছিল আৰু আচৰিত কথা তেওঁক কটু কথাৰে নিলাজ সাহিত্যিক বুলি সমালোচনা কৰাসকলৰ বেছিভাগেই আগধৰি সেই পুথি কিনিছিল।

নেওগৰ শ্ৰেষ্ঠ অৱদান তেওঁৰ অসমীয়া সাহিত্যৰ বুৰঞ্জী। অসমীয়া সাহিত্যৰ বুৰঞ্জী, অসমীয়া সাহিত্যৰ জেউতি, অসমীয়া সাহিত্যৰ জিলিঙনি, অসমীয়া সাহিত্যৰ অধ্যয়ন, আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জী, অসমীয়া সাহিত্যৰ বুৰঞ্জীত নতুন পোহৰ, **New Light on the History of Asamiya Literature** এই গ্ৰন্থবোৰ নামেৰে তেওঁ অসমীয়া সাহিত্যৰ বুৰঞ্জী লিখি একো একো বিষয়ৰ ওপৰত ভিন ভিন বিশ্লেষণৰ পোহৰ পেলাই ভিন ভিন ৰূপত তাক লিৰিকি-বিদাৰি চাবলৈ আৰু বেখুৰাবলৈ যত্ন কৰিছিল।

আকুল পথিক, ইন্দ্ৰধনু, ভোগজৰা, বিচিত্ৰা, অসমা, মুকুতা, মালতী আদি অনেক কবিতা পুথি নেওগে ৰচনা কৰিছিল যদিও কবি হিচাপে তেওঁ 'ইন্দ্ৰধনু'ৰ কবি বুলিহে প্ৰখ্যাত। তেওঁৰ দেশপ্ৰেমৰ থাই কবিতা তিনিটা—'মোৰ গাঁও', 'শাপমুক্তা' আৰু 'বুৰঞ্জী লেখক'—'ইন্দ্ৰধনু'তে সন্নিবিষ্ট হৈছে। দেশপ্ৰেমৰ সংজ্ঞা ব্যাখ্যা কৰিবলৈ গৈ তেওঁ সাহিত্য সভাৰ সভা-পতিৰ অভিভাষণত কৈছিল—'অসম অসমীয়াৰ নিশ্চয়, কিন্তু অসমীয়া নো কোন? ভাৰতবৰ্ষৰ যেয়ে-সেয়ে এই ঠাইত বিধিমতে প্ৰৱেশ কৰি বিধিমতে থাকি ইয়াৰ মঙ্গল সাধন কৰি অসমীয়া হ'ব পাৰে, জাত ধৰ্ম নাই। [illegible] [illegible] তেওঁ ভাঁহি নব খোজে।' —এইজনা আছিল ভাষা-সাহিত্যৰ একনিষ্ঠ পূজাৰী কবি-সাহিত্যিক, সমালোচক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ডিম্বেশ্বৰ নেওগ।

উপেন্দ্ৰ চন্দ্ৰ লেখাৰু : স্মৃতিৰ সুৰভি

অধ্যাপক উপেন্দ্ৰ চন্দ্ৰ লেখাৰুদেৱক পোন-প্ৰথমে দূৰৰপৰা দেখিছিলোঁ অসম সাহিত্য সভাৰ এখন বাৰ্ষিক অধিবেশনত। সি এটা স্মৰণীয় ঘটনা।

১৯৩৪ চন। সেইবাৰ অসম সাহিত্য সভাৰ বাৰ্ষিক অধিবেশন বহিছিল মঙ্গলদৈত। পঞ্চদশ অধিবেশন। সভাপতি আনন্দচন্দ্ৰ আগৰৱালা। অভ্যৰ্থনা সমিতিৰ সভাপতি তপেশ্বৰ শৰ্মা। মঙ্গলদৈৰ মহকুমাধিপতি আছিল তেতিয়া কালিৰাম মেধি। বুলিব লাগিলে সেইবাৰ তাত আকৰ্ষণীয়ভাৱে জাকৃজমকীয়াকৈ সভা পতাৰ গুৰিতে আছিল তেওঁ। কাৰণ সেই সময়ত বৃটিছৰ নিকপকপীয়া শাসন চলিছিল। চৰকাৰী বিদ্যালয়, কাৰ্য্যালয় আদিৰ ছাত্ৰ, কৰ্মচাৰী আৰু ঘৰবোৰ নাপালে তেনে এটা মহৎ অনুষ্ঠান পতা সহজ কাম নহয়। তাতে অধিবেশন বহিছিল ম'হৰ শিং কঁপোৱা পুহ-মহীয়া বৰদিনৰ বন্ধত। অভ্যৰ্থনা সম্পৰ্কে এটা ঘটনা মনত আছে। আৰম্ভণিৰে-পৰা কেউদিন আহাৰৰ লগত সদায় প্ৰতি সাজতে গতানুগতিকভাৱে মাছ-পাচলিৰ উপৰি হৰিণৰ মঙহ আৰু মথা-দৈ প্ৰতিনিধিসকলক হেপাহ পলুৱাই খুৱাব পৰাকৈ যোগান ধৰা হৈছিল। তাকে লৈ শেষৰ দিনা মুকলি সভাত শলাগৰ শৰাইৰ উত্তৰ দি বাগ্মীবৰ নীলমণি ফুকনে কৈছিল—আমি মঙ্গল-দৈয়ে দিয়া শলাগৰ শৰাইখন পোনে পোনে লৈ যাম কেনেকৈ? বোলে, টোপোলাক দেখি টুপলি নাচে, বহু টুপলি তোলৈও আছে।—সেইদেখি আমিও অহম এখন শৰাই তেওঁলোকক ওভতাই দিবলগীয়া হৈছোঁ। ই [illegible] নিয়ম। অভ্যৰ্থনা সমিতিৰ সভাপতিয়ে অভিভাষণত আমাক মঙ্গল-দৈৰ ইতিবৃত্ত দিবলৈ গৈ জনালে-সেইখন দেখোন এতিয়া আমি আখৰে আখৰে মানি লবলৈ টান পাইছোঁ। মঙ্গলদৈ নামটোৰ তেওঁ দি ইতিহাস দিছে সি দেখোন তেনে নহয় যেন লাগিল। মোৰ মনেৰে মঙ্গলদৈ নামৰ [illegible] দৈ। মঙহ আৰু দৈ লগ লগাই মঙ্গলদৈ হৈছে। [illegible] মঙহৰ, দৈ হওক, তেনেকৈয়ে [illegible]; কাৰণ ইয়ানেই হৰিণৰ মঙহ, [illegible] আৰু খাইৰ মঙহ, মাছ, দৈ প্ৰতি সাজতে আমি আগতে [illegible]

খোৱা নাছিলোঁ। ইয়াৰ শলাগ নলৈ জানো পাৰোঁ? তাকে নকৰিলে অজীৰ্ণ পাতকী নহলেও আমি খাই পাতফলা, অশলাগী নহম নে?" ইত্যাদি।

মুকলি সভাৰ দিনাৰ কথা। সভা বহিছিল তেতিয়াৰ দিনৰ 'কৰোনেচন গ্ৰাউণ্ড' বোলা আহল-বহল খেল-পথাৰখনত। আজি-কালি সি গান্ধী-ময়দান নাম লভিছে। সভাত ৬/৭ হাজাৰ লোকৰ সমাৱেশ ঘটিছিল। ওখকৈ সজোৱা সভাপতিৰ মঞ্চখনত থুপিতৰাৰ দৰে জিলিকি আছিল— সভাপতি আনন্দচন্দ্ৰ আগৰৱালাৰ উপৰিও পদ্মনাথ গোহাঞিবৰুৱা, নবীনচন্দ্ৰ বৰদলৈ, ৰঘুনাথ চৌধাৰী, নীলমণি ফুকন, পদ্মধৰ চলিহা, নগেন্দ্ৰনাৰায়ণ চৌধুৰী আদি মহাৰথীসকল। গণ্যমান্য সভাসদসকলৰ আগশাৰীত আছিল— নলিনীবালা দেৱী, অম্বিকাগিৰী ৰায়চৌধুৰী, মহাদেৱ শৰ্মা, দণ্ডিনাথ কলিতা, সৰ্বেশ্বৰ শৰ্মাকটকী, হৰিনাৰায়ণ দত্তবৰুৱা, অতুলচন্দ্ৰ হাজৰিকা, উপেন্দ্ৰচন্দ্ৰ লেখাৰু, বিৰিঞ্চিকুমাৰ বৰুৱা মাধৱচন্দ্ৰ বেজবৰুৱা আদি স্বনামধন্য ৰথীসকল। আমি স্বেচ্ছাসেৱক ছাত্ৰসকলৰ কিছুমানে কৌতুহলবশতঃ আমাৰ শিক্ষাগুৰু দীননাথ চহৰীয়াক কুটুৰি কুটুৰি সুধিছিলোঁ—"ছাৰ, সভাপতি আগৰৱালা, নবীনচন্দ্ৰ বৰদলৈ, নীলমণি ফুকন আদি দুই-চাৰিজনক আমি চিনো; বাকী-সকলৰ কোনজন নো কোন?'—তেখেতে দূৰৰপৰাই আঙুলিয়াই কৈছিল— "ওপৰত সৌ লাখুটি হাতত লৈ থকাজন বিহগী কবি ৰঘুনাথ চৌধাৰী; তেওঁৰ সোঁহাতে বহা গোঁফথকা জনেই পদ্মনাথ গোহাঞিবৰুৱা; শকতকৈ সৌ তেওঁ হ'ল জমিদাৰ নগেন্দ্ৰনাৰায়ণ চৌধুৰী ইত্যাদি।

সভাত দুটা বিষয়ত হোৱা তৰ্ক-যুদ্ধৰ কথা আজিও মনত পৰে। প্ৰধান সম্পাদক চন্দ্ৰধৰ বৰুৱা কিবা কাৰণত অধিবেশনত উপস্থিত নাছিল। তেওঁৰ লিখিত কাৰ্য্যবিৱৰণীখন পাঠ কৰিছিল সহকাৰী সম্পাদক দেৱেন্দ্ৰনাথ বেজ-বৰুৱাই। প্ৰতিবেদনখন বেজবৰুৱাই বোধহয় আগতে এবাৰো পঢ়ি চোৱা নাছিল। গতিকে পঢ়াত সঘনে উজুটি খাইছিল। আকৌ যেঁ তামোলো ভগা-ইছিল। পাঠত বিচ্যুতি ঘটাৰ কাৰণে ব্যাকৰণৰ ভুলবোৰো শ্ৰোতাৰ কাণত জোৰকৈ বাজিছিল। তেতিয়া সমুখৰ আসনৰ পৰা অম্বিকাগিৰী ৰায়চৌধুৰীয়ে থিয় হৈ প্ৰতিবাদ কৰি কৈছিল—"এনেকৈ পঢ়িব নোৱাৰে যদি সেইখন এৰা, বহ কৰক, আমি সেইখন শুনি সময় নষ্ট নকৰোঁ। এইখন ৰাখিব লাগে।" এনেকৈ কোৱাৰ লগে লগে পাঠক বেজবৰুৱাৰ মুতাপি হ'ল। তেতিয়া কাৰ্য্য

শুদ্ধাশুদ্ধ লৈ ৰায়চৌধুৰী আৰু বেজবৰুৱাৰ মাজত যিখন তৰ্ক-যুদ্ধ হৈছিল মনত পৰিলে তাক আজিও চকুৰ আগতে ঘটি থকা যেন লাগে। সভাপতি আগৰৱালা আৰু বাগ্মীবৰ নীলমণি ফুকনৰ মধ্যস্থতাত সি যেনিবা বাক্-যুদ্ধতে শাম কাটিলে।

তাৰ পাছত আহিল প্ৰস্তাৱ-গ্ৰহণ পৰ্ব্ব। প্ৰস্তাৱ-গ্ৰহণৰ সময়ত 'অসম' আৰু 'আসাম' নামটোকে লৈ আকৌ এজাউৰি তৰ্ক-বিতৰ্ক আৰম্ভ হ'ল। এইবাৰৰ তৰ্ক গৰম বিষৰ নহয়, হাস্যৰসপূৰ্ণ প্ৰহসন বিষৰহে। 'আসাম' নামটোৰ কোনো অৰ্থ নাই, গতিকে ই 'অসম' হব লাগে বুলি প্ৰস্তাৱ উত্থাপন কৰাৰ লগে লগে তাৰ সপক্ষে আৰু বিপক্ষে তৰ্ক-যুক্তি আৰম্ভ হ'ল। লেখাৰু ভাণ্ডাৰীয়া আছিল ৰক্ষণশীল দলৰ মুখ্য নেতা। 'আসাম' নাম তেওঁ নেৰে। সোঁহাতৰ তৰ্জ্জনী আঙুলিটো মৃদুভাৱে সঞ্চালন কৰি হাস্যবদনে গহীন গহীনকৈ তেওঁ কবলৈ ধৰিলে, মোৰ এই ক'লা কোটটো দেখিয়ে আপোনালোকে জানিব পাৰিছে মই উকীল। মই পিছে তাৰ শুচাবলৈহে ইয়াত ক'লা কোট পিন্ধি হাজিৰ হৈছোঁ কাৰো হৈ ওকালতি কৰিবলৈ ইয়াত থিয় হোৱা নাই। মনৰ হক কথা দু-আষাৰ কম বুলিহে থিয় হৈছোঁ। নিজৰ উদাহৰণেৰেই আৰম্ভ কৰা ভাল, আনলৈ আঙুলিয়ালে আকৌ কিবা পয়মালহে ঘটিব পাৰে। মোৰ আইৰ নামটো আছিল গেন্ধেলী। গতিকে সেইটো সলাই গন্ধেশ্বৰী বা গন্ধমালতী দিলে কেনে হয়? নে ইংৰাজী-গন্ধী কৰি কেন্ট্লি চাহাবৰ পত্নীৰ দৰে গেন্ট্লি কৰিয়ে দিম? মোৰ ককাদেউতা আছিল ভকত। তেওঁ মোৰ এইবোৰ চিন্তাৰ কথা কেনেবাকৈ গম পাই এদিন নিজে কথাটো উলিয়াই মই কিবা যুক্তি দি মাত মাতিব খোজোঁ-তেই তেকাহি মাৰি দি মোৰ চিন্তাত চেঁচা পানী ঢালিলে। আজিও মোৰ সেই তেকাহিটোলৈ মনত পৰে। গতিকে ককাৰ ভয়তে মই কওঁ—আমাৰ অসমী আইৰ নামটো আগৰ দৰেই থাকক; 'আসাম' গুচাই 'অসম' কৰিব নালাগে। সাহিত্য সভাই সাহিত্যকে চৰ্চ্চা কৰক, মাক-বাপেকৰ নামত সম্প্ৰতি বং নাপাৰিলেও হব। সেয়ে নহলে কিন্তু বং খেলিব খুজিলে কোটটো দিব লাগিব।" —সমজুৱাৰ মাজত হাঁহিৰ সিজ্জনি আৰু হাত চাপৰি ঘনে ঘনে উঠিল, বাক্-বিতণ্ডা চলিল কিন্তু প্ৰস্তাৱ গৃহীত নহ'ল।

১৯৩৮ চনত লেখাৰু ডাঙৰীয়াই কিছু দিনৰ কাৰণে কটন কলেজত অসমীয়াৰ অধ্যাপনা কৰিছিল। সেই সময়ত নিৰ্জু লোক পাই শ্ৰেণীৰ অথাই-টং দুই-এজনে তেওঁৰ লগত পেংলাই কৰিবলৈ প্ৰশ্ৰয় পাইছিল। কিন্তু হাজাৰ চেষ্টা কৰিও কোনেও হলে তেওঁৰ খং তুলিব নোৱাৰিছিল। মনত আছে এদিন এজন ছাত্ৰই তেওঁক কৈছিল—'ছাৰ, আজি আপোনাক বাতি কৰ'-বাত ভাওনা চাই বাহিৰে বাহিৰে অহা যেন লাগিছে।" আইন এজনে ওপৰতে মাত লগাই কলে—'ছাৰে ভাওনাত পাৰ্ট লৈছিল।'' —লেখাৰু ছাৰে হাঁহি মাৰি কলে—'এৰা ওজা-ভাৰৰীয়া শঙ্কৰদেৱেও চাইছিল। নিজেও ভাও লৈছিল। অসমীয়া সাহিত্য-সংস্কৃতিৰ সেইবোৰ মূল বস্তু। তোমা-লোকৰ মন সেইফালে যোৱাটো ভাল হৈছে। ই শুভ লক্ষণ।" —এনেকৈ আৰম্ভ কৰি তেওঁ ওজা-ভাৰৰীয়া আৰু পুৰণি অসমীয়া সাহিত্য-সংস্কৃতি সম্বন্ধে এটি চুটি ভাষণ দিছিল। ইয়াতে উল্লেখ কৰা ভাল যে মণোমত ছাত্ৰক তেওঁ সদায় বন্ধুবৎ ব্যৱহাৰ কৰিছিল।

১৯৪০ চন মানৰ কথা। মই তেতিয়া কামৰূপ একাডেমীত শিক্ষকতা কৰিছিলোঁ। থাকোঁ বিহাবাৰীত, ড° কাকতিৰ ঘৰৰ ওচৰতে। এদিন ড° কাকতিয়ে মাতি দি মোক কলে,—"অতুল, বি, এ, পাছ কৰিলা। শিক্ষকো হলা। এতিয়া বহুত ছাত্ৰৰ গুৰু হৈছা যদিও আমাৰ মানত কিন্তু ছাত্ৰয়ে হৈ আছা। নহয় জানো?"

—"চিৰকাল আপোনাৰ ছাত্ৰ হৈ থাকিবৰ মন যায় ছাৰ"—বুলিলোঁ। তেওঁ থুকুৰৈ নিজা হাঁহিটো মাৰি কলে, বাক এতিয়া গুৰু-দক্ষিণা দিব লাগে নহয়? কি দিবা?"

—'যিহকে খোজে শক্তি সামৰ্থ্যই জুৰিলে দিম, ছাৰ'—বুলিলোঁ।

—এৰা, মযো তোমাৰপৰা তোমাৰ শক্তিৰ বাহিৰৰ একো নোখোজোঁ। মই এখন 'যেছিছ' লিখিছিলোঁ—জানা নহয়? তাৰে 'ইণ্ডেক্স'টো কৰি দিব লাগে। পুৰণিখন হেৰোৱাব খুজিছো।

ভনি 'মোৰ' বুকুটো আচৰিতে কৰা যেন লাগিল। বাপ ৰে,' ড° কাকতিৰ 'অসমীয়াৰ' 'থেছিছ' তাতো আকৌ 'ইণ্ডেক্স'! [illegible] [illegible] তাৰ 'ইণ্ডেক্স' কেনেকৈ কৰিম?—মোৰ অৱস্থা তেওঁ বুজিলে [illegible] [illegible] [illegible] [illegible] 'দিবাং ৰাতি [illegible]' বুলি [illegible] [illegible]

ধৰে তেওঁ কলে 'কেনেকৈ কৰিব লাগে মই দেখুৱাই দিম। উপেন লেখাৰ আৰু তুমি দুয়ো লগ হৈ কামটো কৰি দিব লাগে। তোমালোক দুয়োৰে-পৰা মই তাকেই গুৰু-দক্ষিণা লব খুজিছোঁ। দুই দিস্তামান কাগজ লৈ প্ৰথমে কামটো আৰম্ভ কৰিবা। ABCD-কৈ কামটো এইদৰে আৰম্ভ কৰিবা বুলি অলপ বুজাই দিলে।

ড° কাকতিৰ পৰামৰ্শ লৈ লেখাৰ ছাৰক লগ ধৰিলোঁ। তেওঁ কলে 'এৰা, চোৱাচোনহে বাৰু, আমিনো তেওঁৰ ভাষাতত্ত্বৰ কি তত্ত্ব পাম? এতিয়া আকৌ তাৰো খাত উলিয়াবলৈ দিছে আমাক! দুয়ো চেষ্টা কৰি চাওঁ দিয়া। তুমিয়ে সম্প্ৰতি তেওঁ দেখুৱামতে কামটো আৰম্ভ কৰাচোন। কেতিয়াবা মাজে মাজে মোকো সুধিবা। মোৰ পিছে এশ এটা লেঠা, জানায়ে নহয়? তথাপি গুৰুৰ বাক্য, সি একপ্ৰকাৰ আদেশেই!'

যথানিৰ্দ্দিষ্ট কাম আৰম্ভ কৰি এক দিস্তামান কাগজ শেষ কৰি এদিন ড° কাকতিক দেখুৱাবলৈ নিলোঁ। তেখেতে কলে—'অতুল, বেয়া নাপাবা; 'ইংৰাজ'খন অসমীয়া বৰ্ণক্ৰম মতেহে কৰা ভাল হব, ইংৰাজী বৰ্ণৰ ক্ৰমত নহয়। মই ভাবি চালোঁ।' এই বুলি তেওঁ আকৌ অলপ বুজাই দি কলে—'ইমান দিন ধৰি কৰা হ'ল, বেয়া নাপাবা দিয়া। হয় কেতিয়াবা তেনে।' ইয়াকে কৈ তেওঁ দহ টকীয়া নোট এখন জেপৰপৰা উলিয়াই দিব খোজাত মই কৈছিলোঁ—'গুৰুদক্ষিণাৰ কথা পাহৰিলে নেকি ছাৰ?' তেওঁ তেতিয়া পৰিচিত হাঁহিটোৰে মোক বিদায় দিব খুজি কৈছিল, তোমালোকৰ এই পৰিশ্ৰমৰ কথা মই acknowledge কৰিম দিয়া।' সঁচাকৈয়ে তেখেতে পাণ্ডুলিপি সেইটো কৰি তুলসীৰ লগতে ফল-পটুৱাকো মুক্তি দিছিল। লেখাৰ ছাৰৰ লগত সেই সময়তো কাম কৰিবলৈ সুযোগ লভিছিলোঁ।

এইবাৰ বৃন্দাবনত। বৃন্দাবনত শঙ্কৰ মন্দিৰৰ লগত জড়িত হৈ অধ্যাপক লেখাক প্ৰায় পোন্ধৰ বছৰ আছিল—১৯৬০, জুনৰপৰা ১৯৭৫ [illegible]। ইয়াৰ [illegible], ১৯৭০ চনত [illegible] [illegible] অধিবেশনৰ সভাপতি নিৰ্বাচিত হৈছিল। ১৯৭৩ [illegible] [illegible] [illegible] [illegible] দৈ [illegible] [illegible] [illegible] [illegible]। [illegible] [illegible] [illegible] [illegible] লেখাৰ ছাৰৰ [illegible] [illegible] [illegible]

বলৈ সুযোগ লভিছিলোঁ। এদিন তেওঁ কৈছিল—'এবা, ভগৱানে কি ইচ্ছা কাৰ খাবায় কেতিয়া পূৰ কৰি বং চায় কব নোৱাৰি। মোৰ কথাটোলৈকেই চোৱাচোন বাৰু। মই অসমীয়া সাহিত্যলৈ নো বাৰু বিশেষ কি দিলোঁ? পিছে এটা কথা—এদিন মই হলে সক সংবাৰ দৰে সৰ্ব্বান্তঃকৰণে তেওঁক প্ৰাৰ্থনা কৰোঁতে কৈছিলোঁ—প্ৰভু, মোকো জানো কোনো এদিন সাহিত্য সভাৰ সেই আসনখনত বহিবলৈ নিদিবা? ' তেওঁ সঁচাকৈয়ে শুনিছিল হবলা হে! নহলেনো মই তাৰ ওচৰলৈ নিজে যাওঁ বুলি যাব পাৰিলোহেঁতেননে? তাতে মই আছোঁ বৃন্দাবনত। ক'ত অসম, ক'ত বৃন্দাবন!'

তেওঁ অন্য এদিন কৈছিল—'মোৰ যে কেতিয়াবা গুৱাহাটীত নিজা ঘৰ-বাৰী হব, মই ভবাই নাছিলোঁ। ভাৰা-ঘৰত থাকিয়ে জীৱনৰ বাকী কেইটা দিন কটাই দিব লাগিব বুলি ভাবিছিলোঁ। ভগৱানৰ ইচ্ছাতে সিও যেনিবা হ'ল। মোৰ কেতিয়াবা এনেও হৈছিল যে ঘৰৰ ভাৰা দিয়াটোৱে মক্কিলৰ কথা হৈ পৰিছিল। ঘৰৰ ভাৰা দিবলৈ নৌপাওঁতেই দৰমহাৰ পইচা শেষ হয়। তেনেকৈ এবাৰ কেইবা মাহৰ ভাৰা বাকী থকাত ঘৰৰ মালিকৰ লগত এটা মজাৰ ঘটনা ঘটিছিল। গৰমৰ দিন। এদিন দেওবাৰে মই দুপৰীয়া গা-পা ধুই উঠি গোঁসাই ঘৰলৈ যাব খুজিছোঁ, এনেতে তেওঁ ভাৰাৰ কাৰণে বাহিৰৰ কোঠালিত বহি ললেহি। ওপৰত বিজুলী 'ফেন' আছিল। কিন্তু মেৰামতিৰ অভাৱত সি কিহবাবে ঠেলি ঘূৰাই নিদিলে হুঘুৰা হৈ পৰিছিল। গোঁসাইৰ কাম শেষ কৰি মই বাহিৰলৈ ওলাই তেওঁক কোঠা-লিত দেখি অমীক (মোৰ ভাওৰ ছোৱালীজনীক) চিঞৰি কলোঁ,—'তেওঁ আহিছে, বহি আছে, লাখুটিডাল আনচোন।' মোৰ কথা শুনি মালিক খপৰাই উঠিল আৰু একো মাতবোল নকৰাকৈ তড়িৎবেগে ওলাই গ'ল। মই কত মাতিলোঁ, কত কাকুতি কৰিলোঁ—উত্তৰ নাহিল। মই লাখুটিৰে ফেনখনহে ঘূৰাই দিব খুজিছিলোঁ, তেওঁ কিবা ভুল বুজিলে হবলা। পিছে আবেলি কোনোমতে যোগাৰ কৰি পইচাকেইটা দি আহিলোঁ গৈ; লাখুটিৰ কথাটোও বুজাই কলোঁ।'

অধ্যাপক লেখাৰুৰ আবেলি একেলগে ফুৰা লগ আছিল ডঃ মথুৰানাথ গোস্বামী আৰু ডঃ কাকতি। তেওঁ নিজে কৈছিল যে ডেকা কালত কেতিয়াবা কেতিয়াবা তেওঁ হেনো পূজাৰ সময়ত নিজে প্ৰতিমাও সাজিছিল।

কেতিয়াবা নাট-ভাওনাতো অংশ গ্ৰহণ কৰিছিল। এবাৰ বোলে নাৰদৰ ভাও লৈছিল। ভাওনাৰ খাই খাই ভাৰতীয়াসকলক সাজপাৰ পিন্ধাই উলিওৱা হ'ল' নাৰদলৈ কোনেও মন—কাণ নকৰিলে। ইফালে প্ৰথম মতে নাৰদ ওলাবৰ হ'লেই। লেখাকৰে বীণখন টান মাৰি আনি হাতত লৈ কম্বল এখনকে গাত মেৰিয়াই মঞ্চত ওলাল আৰু নিৰ্বিকাৰভাৱে বচন মাতি যি কাম সমাধা কৰিলে। সহ-অভিনেতাসকলে লেখকৰ উপস্থিত বুদ্ধিক প্ৰশংসা নকৰি নোৱাৰিলে।

আৰু এটা আচৰিত কথা। লেখাকদেৱে হেনো বহুত সমস্যাৰ সমাধান সপোনতে পাইছিল। আনকি কেতিয়াবা কিবা লিখিবলৈ লৈ ৰাতি গভীৰ হোৱা হেতুকে শুবলৈ গলে লিখিবলৈ বাকী থকা কথা সপোনতে সমাধা কৰিছিল আৰু সাৰ পাই উঠি সেইমতে লিখি পেলাইছিল। তেওঁৰ মতে তেওঁৰ হেনো তেজতে বৈৰাগ্য আছিল! তেওঁৰ পিতৃ নন্দ লেখাক এজন সাত্ত্বিক বৈষ্ণৱ আৰু মাতৃ শঙ্কৰ দেৱ-মাধৱদেৱক বিখ্যাত ভকত আছিল। সাজে-সজ্জৰে গৃহ-সংসাৰ কৰিছিল যদিও কেতিয়াবা আনকি খোৱা-বোৱাৰ কথাকে তেওঁক গৃহিণীয়েহে সোঁৱৰাই দিবলগীয়া হৈছিল। বিশ্বস্ত আৰু অনুগত ছাত্ৰৰ আগত তেওঁ এনেবোৰ কথা মন খুলি প্ৰকাশ কৰিছিল। আজিও আমাৰ দৰে বহুতৰে মনৰ গহনত তেনেবোৰ 'সৰ্বসুখকৰ সুৰভি শীতল' স্মৃতিৰ পৰশে বিমল শান্তি দান কৰে।

(জন্ম—১৯০৫ চনৰ ১৩ জানুৱাৰী, মাঘ বিহুৰ উৰুকা: উত্তৰ গুৱাহাটীৰ কুৰ্মেশ্বৰ গাঁৱত। দেহাৱসান—১৯৭৯ চনৰ ৩ জুন; গুৱাহাটী)

হেম বৰুৱা : জীৱন দৰ্শন আৰু সাহিত্য

মানুহৰ জীৱন কামৰ সমষ্টি মাথোন। এই কৃতি বা কাম আৰু সাহিত্যৰ মাজেদি বাগ্মীনেতা হেম বৰুৱাৰ জীৱন দৰ্শনৰ মূল সূত্ৰ কি আছিল তাকে অলপ বিশ্লেষণ কৰি চাব খুজিছোঁ।

১৯৩৭ চনতে 'আৱাহন'ত 'হিয়াৰ মিলন' গল্প প্ৰকাশ কৰি অসমীয়া সাহিত্য-ক্ষেত্ৰত প্ৰথম পদক্ষেপ দিয়া শ্ৰীযুত হেমকান্ত শৰ্মা বৰুৱা বি. এ. ডাঙৰীয়ায়ে ইংৰাজীৰ এম. এ. পাছ কৰি অধ্যয়নৰ অন্তত অধ্যাপনাৰে আৰু তাৰ পিছত বক্তৃতা আৰু লেখনীৰে অসমৰ গৌৰৱ ভাৰতৰ আৰু বিশ্বৰ পণ্ডিত-সভাত প্ৰচাৰ কৰা হেম বৰুৱা। বাগ্মীনেতা হেম বৰুৱা আজি নাই, কিন্তু তেওঁৰ কৃতিত্বৰ কাহিনী মানুহৰ মুখে মুখে।

হেম বৰুৱাৰ জীৱনৰ মূল আদৰ্শ, আমি দেখাত আছিল প্ৰধানতঃ দুটা : প্ৰথমটো ত্যাগ আৰু দ্বিতীয়টো দৃঢ় প্ৰতিজ্ঞা : ইহকাল আৰু পৰকালৰ কাৰণে কাম কৰি যাবলৈ দৃঢ়-প্ৰতিজ্ঞা। তেওঁ মাজে মাজে কৈছিল আৰু লিখিছিলো, "ৰাজনীতি কৰিছোঁ ইহকালৰ কাৰণে, সাহিত্য চৰ্চা কৰিছোঁ—পৰকালৰ কাৰণে।" দৃঢ়-প্ৰতিজ্ঞাৰ ইঙ্গিত দি তেওঁৰ এজনা অন্তৰঙ্গ বন্ধুৱে লিখিছে যে আৱাহনৰ পাতত ত্ৰিশৰ দশকত তেতিয়াৰ হেমকান্ত শৰ্মা বৰুৱাই গল্প আৰু আলোচনামূলক প্ৰবন্ধেৰে থৰক-বৰককৈ খোজ পেলাইছিল মাথোন—ভৱিষ্যতৰ সম্ভাৱনাৰ সিমান আশা দিব পৰা নাছিল। বক্তৃতাৰ ক্ষেত্ৰতো যোৰহাটৰ অনুষ্ঠিত আয়োজনৰ সাহিত্য সভা এখনতে বক্তৃতা দিবলৈ উঠি তাহানি তেওঁ জৱহৰলাল নেহৰুৱে প্ৰথমে বক্তৃতা দিবলৈ উঠি বঙা-চঙা পৰি ঘামি-জামি যোৱাৰ দৰে হৈছিল। ১৯৩৯-৪২ চনৰ ভিতৰত ঘটা বৰুৱাদেৱৰ জীৱনৰ পৰিবৰ্তনলৈ লক্ষ্য কৰি তেওঁৰ বন্ধু সুনীল বৰকটকী-দেৱে কৈছে, "তাৰ হয় সেই কেইবছৰৰ চনৰ বিপৰ্যয়ৰ ফলশ্ৰুতি পৰিবৰ্তন আৰু আশা-অনু তেওঁৰ জীৱনলৈ নহা হলে বিজন হেম বৰুৱাৰ দৈ, অসমীয়াই আজি গৰ্ব কৰে সেইজন হেম বৰুৱাৰ পোৱালি হয়তো নহ'লহেঁতেন।"

এইখিনিতে খোৱতে উল্লেখ কৰিব পাৰি যে জীৱনৰ এনে আশা-ভঙ্গই বহুতৰ জীৱনতৰীৰ গতিকে তেনেই সলনি কৰি দিয়ে, বহুতৰ আকৌ পাল ছিগি গৈ সি ডকা-চাকনৈয়াত পৰি পানী খাবলৈ ধৰে আৰু খেনোৰ কেৱল তাৰ বুৰ যোৱাও দেখা যায়। এনে পৰিস্থিতিত বৰুৱাৰ সাহসিকতা আৰু ধৈৰ্য্য অসমৰ ভাগ্য আৰু গৌৰৱৰ কথা।

হেম বৰুৱাৰ জীৱনত ত্যাগ আৰু একনিষ্ঠতাৰ আদৰ্শ হিমালয়ৰ শৃঙ্গৰ দৰে উচ্চ হৈ থাকিব। ব্যক্তিগত জীৱনত সেই মহিমাময় ত্যাগৰ গৰিমা আমি নিজে উপলব্ধি কৰিবলৈ কিঞ্চিৎ সুযোগ লভিছিলোঁ। ১৯৫৬ চনৰ মানৰ কথা। সচৰাচৰ থকাৰ দৰে তেওঁ ক'ৰবাৰপৰা আহি এদিন বাটৰ কাষৰ তামোলৰ দোকান এখনত চুণেই-চাদাই সেলেঙি লগাই তামোল খাই আছিল। এনে সময়তে কোনোবা ফালৰপৰা ময়ো আহি সেইখিনি পালোঁহি। মই তেতিয়া গুৱাহাটী চক্ৰৰ মাটিৰ হাকিম। পূৰণি অন্তৰঙ্গ বন্ধু বৰিও দেশনেতা বাবে বৰুৱাক অলপ সমীহ কৰি চলোঁ। সৰবৰহী বৰুৱাই গোনেই কলে—"বৰুৱাদেও, আপোনালোকে হেনো বহুত মানুহক চৰকাৰী মাটি দিব লাগিছে আমাকো এটুকুৰা নিদিয়ে কিয়?" —তেতিয়া বৰুৱা ডাঙৰীয়া চেনিকুঠিৰ এটা ভাড়াঘৰত কথা-সাহিত্যিক যোগেশ দাসৰ লগত আছিল। —মই কথাৰ মৰ্ম সাধাৰণভাৱে বুজি লৈ কলোঁ—"সঁচা নেকি? আপুনি জানো দৰ্খাস্ত কৰিছে? আপোনাৰ দৰ্খাস্ত দেখাতো মোৰ মনত নপৰে? মন্ত্ৰীৰ হাতত দিছে যদি সি এতিয়াও আমাৰ হাত পোৱাহি নাই।"—তেওঁ কলে, "নাই দিয়া, দিম বাৰু। মনত ৰাখিব কিন্তু। পিছে এটা কথা দেই, মোক চৰকাৰী মাটি নালাগে—কেইদিননো থাকিম হেৰি? 'ৰবাৰ ঘৰত তৰাৰ গাঁথি, ৰবা নো থাকিব কেই ৰাতি।' ভাড়া-ঘৰত বা পৰৰ ঘৰত থকাই দেখোন ভাল। আমি পৰৰ ঘৰতে ওপজো আৰু পৰলৈয়ে ঘৰ-বস্তু এৰি থৈ যাওঁ; নহয় জানো?"

—তেনেহলে মাটি কিয় লাগে? কাৰ কাৰণে লাগে?

—মোক নালাগে; মোৰ কলেজটোৰ বাবেহে লাগে। ভাড়া-ঘৰত কলেজ আৰু কিমান দিন চলাব বাৰু?

মোৰ তেতিয়া মনটো গধূৰ লাগিছিল। ঘূৰি আহি ভাবিছিলোঁ অত্যু- গব্য মানৱ—অধিনায়কসকলকো পাইছোঁ—গুৱাহাটীৰ মাটিৰ কাৰণে ঘূৰ্ণি

কুটুম্ব আদৰি নিয়াদি নি কথা পাতে : তইহে তই মইহে মই। বোলে 'মহন্তৰ চিন মাহনিত, বুঢ়া গৰুৰ চিন ঘাঁহনিত!' কিন্তু এই লোকজনৰ ক্ষেত্ৰত আদৰ্শৰ কি বৈপৰীত্য!

অন্য এদিনৰ কথা। ষ্টেডিয়াম এটা গুৱাহাটীত পাতিবলৈ বাইজৰ প্ৰস্তাৱ পাই তেতিয়াৰ ৰাজহ মন্ত্ৰী মতিৰাম বৰাই ৰাধাগোবিন্দ বৰুৱাক শিলঙলৈ মাতিলে। লগতে জিলাৰ বৰ চাহাবক নিৰ্দেশ দিলে—নথি-পত্ৰ লৈ মৰ্য়ো বৰুৱাৰ লগতে আলোচনাত যোগ দিবলৈ শিলঙলৈ যাব লাগে। বৰুৱা আৰু মই দুয়ো গৈ যথাসময়ত উপস্থিত হোৱাত মন্ত্ৰীয়ে মেপ চাই ষ্টেডিয়ামৰ কাৰণে আমি দেখুৱামতে মাটি দিবলৈ স্থিৰ কৰিলে। ষ্টেডিয়ামৰ মাটিৰ দক্ষিণ-পূব কোণত লগতে লগা ১০/১১ বিঘা মাটিৰ টেমুনা এটা ওলাল—ষ্টেডিয়ামক সেই মাটি নালাগে। মই কলোঁ—ছাৰ, এই মাটিখিনিও এটা ৰাজহুৱা অনুষ্ঠানক দি লেঠা মাৰি থোৱা ভাল; নহলে ই আমাৰ সকলোৰে জীৱন দুৰ্বহ কৰি তুলিব। দৰ্খাস্তৰ ওপৰত দৰ্খাস্ত পৰিব।

—কাক দিলেনো ভাল হব? —মন্ত্ৰীগৰাকীয়ে সুধিলে। কি অনুষ্ঠানৰ বাবে?

—প্ৰিন্সিপাল হেমবৰুৱাই বি. বৰুৱা কলেজৰ কাৰণে লগ পালেই মুখেৰে দৰ্খাস্ত দিয়ে। তেওঁক দিয়াই বেয়া নহয় নেকি? —মই কলোঁ।

—এৰাহে! এই মানুহজনৰ প্ৰতি মোৰ শ্ৰদ্ধা হয়। পিছে তেওঁৰ দৰ্খাস্ত নাই। নাপায় বুলি দিবলৈ লাজ কৰে হবলা। দৰ্খাস্ত দিবলৈ কব।—এই বুলি মোৰ মেপতে মন্ত্ৰীয়ে নিজহাতে লিখি দিলে 'Site for B. Borooah College.' লিখাই নহয় সকলৈ খাৰুৱো দি থলে আৰু প্ৰস্তাৱ দিবলৈ কলে।

গুৱাহাটী পাই কথাটো মুখে মুখে উত্থাপন কৰাত উপাযুক্তই লোলেই দাং খাই উঠি কলে—"নাই, নাই, বি. বৰুৱা কলেজক দিব নোৱাৰি। সি আৰু এটা 'ট্ৰাবোল স্পট্' হব।" পিছত আন্দোলনত কৈ মন্ত্ৰীৰ চহী থকা মেপ দেখুৱাত জানিবা মন্ত্ৰ গুনা লাগে যেনা চপৰোৱাৰ দৰে আমৰি গ'ল আৰু নীৰৱ হ'ল। বি. বৰুৱা কলেজৰ ভেটি এইদৰেই লাভ হৈছিল—হেম বৰুৱাৰ ত্যাগৰ মাজেদি। নিজৰ কাৰণে বৰুৱাই কিন্তু চৰকাৰী মাটি কোনো দিনে বিচৰা নাছিলে।

আজিকালি সাহিত্য সভাৰ সভাপতি পদটো মন্ত্ৰীৰ গাদীৰ দৰে বহুতৰ কাৰণে এটা কাম্য বস্তু হৈ পৰিছে। তাৰ বাবে কিমানে কিমান ঘুৰে আৰু আনকো ঘুৰায়; কিমান জাল পাতে, কিমানে ছাত্ৰ আৰু ছাত্ৰস্থানীয় শিষ্য-প্ৰশিষ্যসকলক খটায়—সেইটো সকলোৰে জনা কথা। পিছে পাঁচ দশ-কৰ মাজ মানত এনে এটি গৌৰৱৰ কাৰণে হেম বৰুৱাৰ নামটো যেতিয়া উত্থাপিত হ'ল, তেতিয়া তেওঁ এই বুলি উত্তৰ দিলে যে সেই পদৰ বাবে তেতিয়ালৈ নিজক যোগ্য হোৱা বুলি তেওঁ নাভাবে, কাৰণ অসমীয়া ভাষা আৰু সাহিত্যৰ হকে তেতিয়ালৈ তেওঁ লেখত লবলগীয়া একো বৰঙণি দিব পৰা নাই।

নকলেও হব যে সেই সময়ত সমাজবাদী নেতা আৰু বাগ্মী বক্তা হেম বৰুৱাৰ প্ৰতিভা উদীয়মান সূৰ্য্যৰ ৰশ্মিৰ দৰে উজ্জল হৈ উঠিছিল আৰু বস্তুতঃ তেওঁৰ বক্তৃতা শুনিবৰ কাৰণে মানুহে ব্যগ্ৰ হৈ খেদি ফুৰিছিল। সাহিত্য সভাৰ সেই আহ্বানে কিন্তু হেম বৰুৱাক বাইজৰ আশা-আকাঙ্খা আৰু তেওঁৰ কৰ্ত্তব্য সম্পৰ্কে বাৰুকৈয়ে সচেতন কৰি তুলিলে। তেতিয়াৰপৰা বৰুৱাই ক্ৰমেও বহুবি তুখনকৈ গ্ৰন্থ প্ৰণয়ন কৰি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰাত লাগি গ'ল। তেও নিশ্চয়কৈ ভাবিছিল বাইজে তেওঁলৈ আগ বঢ়োৱা সন্মানৰ আসনখন তেওঁ এদিন যোগ্যতাৰে অধিকাৰ কৰিব লাগিবই, আৰু তাৰ বাবে তেওঁ প্ৰস্তুতিও চলাইছিল।

বৰুৱাৰ সঙ্গী ৰাজনীতিজ্ঞ বন্ধু দুই এগৰাকীয়ে ইতিমধ্যে লুটি-বাগৰ দি ক্ষমতা আৰু ভোগ-ঐশ্বৰ্য্যৰ শীৰ্ষস্থানত টিঘিল-ঢিলালে; তেওঁ মনৰ সংকল্প আৰু দৃঢ়তা ত্যাগ নকৰিলে; তেওঁক নিবলৈ এবাৰ গোপীনাথ বৰদলৈৰ দৰে লোকেও যত্ন নকৰাকৈ থকা নাছিল; আনকি মুখ্যমন্ত্ৰীৰ প্ৰাইভেট চেক্ৰে-টাৰীৰ পদবাৰ টোপ পৰ্য্যন্ত হেনো যাচিছিল। কটন কলেজৰ অধ্যাপকৰ চৰকাৰী চাকৰিৰ প্ৰলোভনো অন্ত এবাৰ তেওঁলৈ আহিছিল। সেই সকলো-বোৰ প্ৰলোভনো হাস্য-বদন বৰুৱাই ৰসিকতা কৰি হাঁহি-হাঁহিয়ে উৰুৱাই দিছিল। এনেকুৱা ত্যাগৰ আদৰ্শ আজিৰ দিনত কেইজনৰ আছে?

বৰুৱাৰ ব্যক্তিত্ব আৰু সাহিত্যিক প্ৰতিভাও বহু পৰিমাণে যত্নৰ ফলত আয়ত্ত কৰা সম্ভৱ বুলি তেওঁ নিজে স্বীকাৰ কৰিছে।

১৯৩৮ চনৰ কথা। উচ্চ শিক্ষা লাভ কৰি নিবনুৱা হৈ বহি থকা সময়ত

তেওঁ হেনো এদিন 'আৱাহন' এখন হাতত লৈ জনচেৰেক ছাত্ৰৰ আগত 'আৱাহন'ৰ প্ৰত্যেকটো গল্প, প্ৰবন্ধ, কবিতাকে খুঁতবোৰ খুঁচৰি কটু সমালোচনা কৰি আছিল। তেওঁক সাতসৰী ছাত্ৰ এজনে বিৰক্ত হৈ ক'লে—'ছাৰ' পিছে লিখকসকলে হোৱাই-নোহোৱাই কিবা নহয় কিবা এটা লিখিবলৈ যত্ন কৰিছে—সি নিভুৰ্ল বা স্বয়ং সম্পূৰ্ণ নহবও পাৰে, আপুনি এম. এ পাছ কৰিনো কি কৰিছে? আপুনি নিলিখে কিয়? —বৰুৱা স্তব্ধ হ'ল। কথাষাৰে মনে মনে তেওঁৰ মন খুন্দিয়াই ধৰিলে। তাৰ পাছতেই তেওঁ 'আৱাহন'ত আৰম্ভ কৰিলে পাৰ্লবাকৰ বিষয়ে এখন ৰচনা। তাৰ পাছত আধুনিক নাট্য সাহিত্যত বিয়ানাম আৰু ৰোমান্স, মেটাৰলিঙ্কৰ সাহিত্য-প্ৰতিভা, আধুনিক সাহিত্যৰ লক্ষণ, আধুনিক সাহিত্যৰ প্ৰকাশ-ভঙ্গী আদি প্ৰবন্ধ। তাহানি ডিব্ৰুগড় মেডিকেল কলেজৰ প্ৰাক্তন অধ্যক্ষ ডাঃ হেম বৰুৱাৰ জীৱনতো ঠিক এনেকুৱা ঘটনাই ঘটিছিল। ছিলং মুকুল সঙ্ঘৰ এটি বৈঠকত পোনতে প্ৰৱেশ কৰি ডাঃ হেম বৰুৱাই এদিন কৈছিল, "ময়ো সঙ্ঘত সোমাওঁ৷ যেতিয়া মোৰ জীৱনৰ অভিজ্ঞতাৰে ময়ো সাহিত্য সৃষ্টি কৰি আপোনালোকক শুনাম বুলি ভাবিছোঁ।" তাতে এজন গা-উঠা বিধৰ সদস্যই কলে—নালাগে আপুনি সাহিত্য ৰচনা কৰিব। ইমান দিনে ঔষধৰ 'প্ৰেচ্‌ক্ৰিপ্‌চন' লিখি থাকি আপুনি এতিয়া সাহিত্য লিখিব নোৱাৰে। আমি আপোনাক বেহাই দিছোঁ। —ডাক্তৰ হেম বৰুৱাই অন্তৰত বৰ দুখ পালে। তেওঁ সেইদিনাই প্ৰতিজ্ঞা কৰিলে—থাক, মই সাহিত্য লিখিব পাৰো নে নোৱাৰোঁ তোক দেখুৱাম! মই সাহিত্য লিখি তোৰপৰা বাঃ বাঃ লৈহে এৰিম।—তাৰ ফলতেই 'নৱগ্ৰহ', 'চপনীয়া,' 'মোৰ ঘৰখন' আদি ৰসপুষ্ট গ্ৰন্থ প্ৰকাশত বাহিৰেও 'ৰামধেনু,' 'জয়ন্তী' আদি আলোচনী তেওঁৰ প্ৰবন্ধেৰে উপচি পৰিছিল। তেৰেঁা আছিল এক হেম বৰুৱা, এৰোঁ অন্য এক হেম বৰুৱা! দুয়োৰো সাহিত্য সৃষ্টিৰ পাতনি কিন্তু একে ধৰণৰ : মনৰ জিদত উত্তৰ হোৱা দৃঢ়সংকল্প!

ৰাজনীতিৰ ক্ষেত্ৰত হেম বৰুৱাই মঞ্চ-বক্তা আৰু সংসদী-তাৰ্কিক হিচাপে যি কীৰ্তি ৰাখিলে তাৰ তুলনা নাই, কিন্তু সি তেওঁৰ ভাষাতেই 'ইহকালৰহে সমল'। তাৰ হৰণ-ভগন হবই। কিন্তু সেই একেডোখৰ কালতে যুগপৎ তেওঁ বাত্তিক দিন কৰি মগজু খটাই, টোপনি বধি ৰাজনৈতিক জীৱনৰ ছৈত্ৰিশ বছৰৰ ভিতৰতে যি ৩১ খন কিতাপ ৰচনা কৰিলে সেয়েহে তেওঁক

অসমীয়া সাহিত্যত বহু কাললৈ নমস্য কৰি ৰাখিব। তালৈ লক্ষ্য কৰিয়ে ড° সৰ্ব্বপল্লী ৰাধাকৃষ্ণনৰ দৰে লোকেও তেওঁলৈ লিখিছিল "I am glad that you write. Nothing ultimately lasts except your writing."

বৰুৱাৰ সাহিত্য অকল জ্ঞানগৰ্ভই নহয়, অভিজ্ঞতাপুষ্ট আৰু নানা দেশৰ জ্ঞান-বিজ্ঞানৰ সমন্বয় সম্বলিতও। ৰাজনৈতিক জীৱনত তেওঁ চৰকাৰ-বিৰোধী দলত থাকিও ভাৰতৰ প্ৰতিনিধিত্ব কৰিবলৈ আমেৰিকা, ইউৰোপ, ৰুছিয়া ইণ্ডোচীন আদি ঠাইবোৰলৈ প্ৰেৰিত হৈছিল। তেওঁৰ এইবোৰ দেশ ভ্ৰমণৰ ফলত আমি পাইছোঁ 'সাগৰ দেখিছা,' ৰঙা কৰবীৰ ফুল,' 'মেকং নৈ দেখিলোঁ, আৰু 'ইজৰাইল' এই চাৰিখন আপুৰুগীয়া গ্ৰন্থ।

পুথিৰ পাতনিত সদায়ে গ্ৰন্থকাৰে ব্যক্তিগত কথা দুই একোটা এনেকৈ কৈ থয় যে সিয়ে গ্ৰন্থকাৰে ৰচনাৰ পটভূমিৰ ইঙ্গিত দিয়ে আৰু পুথিখন অধিক উপভোগ্য কৰি তোলে। পাতনিত উল্লেখ কৰা গ্ৰন্থকাৰৰ স্বীকা-ৰোক্তিবোৰ গ্ৰন্থ-গৰ্ভৰ সঁচাৰকাঠীৰ দৰে।

১৯৬৪ চনত ছপা হোৱা 'আঁচু-ফুল'ৰ পাতনিত বৰুৱাই কৈছে—"ক্ৰমাৎ মোৰ উপলব্ধি হৈ আহিছে ৰাজনীতি আৰু সাহিত্য-চৰ্চ্চা দুয়োটা বস্তু একে-লগে চলাবলৈ টান। নেহকৰেও তেওঁৰ প্ৰায়বোৰ কিতাপ জেলত লিখি-ছিল।" 'মেকং নৈ দেখিলেঁা' গ্ৰন্থৰ পাতনিত আছে "মন নগলে কোনো কামকে মই নকৰোঁ।" দক্ষিণ-পূব এছিয়ালৈ ৰাজনৈতিক ভ্ৰমণৰ বাবে যোৱাৰ আহ্বান ভাৰত চৰকাৰৰপৰা অহাত তেওঁৰ হেনো "মন-ময়ুৰী চালি ধৰি উঠিছিল," কাৰণ তেওঁ জানিছিল যে "অসমৰ বুৰঞ্জী আৰু সংস্কৃতিৰ বিষয়ে ভালকৈ জানিবলৈ হলে দক্ষিণ-পূব এছিয়াৰ এই দেশসমূহৰ লৈতে, ঘাইকৈ টাইলেণ্ড আৰু লাওচৰ লৈতে সম্বন্ধ স্থাপন কৰিব পাৰিলে ভাল!"

হেম বৰুৱাই তেওঁৰ কিতাপবোৰৰ পাতনিখনক বেলেগ বেলেগ নামে অভি-হিত কৰিছিল। 'মেকং নৈ'ৰ পাতনি হ'ল—'জিলিকনি,' নতুন দিল্লী ১৯৬৬। দ্বিতীয় সংস্কৰণখন হ'ল—"আৰু একেবাৰ, গুৱাহাটী ১৯৬৮।" 'জিলিকনি'ত গ্ৰন্থ সৃষ্টিৰ বেদনা লেখকৰ মনত কেনেকৈ জাগি উঠে তাৰ বৰ্ণনা মন কৰিব-লগীয়া। —'মেকং নৈ দেখিলেঁা' এই কিতাপখন বৰ কষ্টেৰে লেখিছোঁ। সময়ৰ নাটনি। সময়ৰ নাটনিৰ লৈতে সংগ্ৰাম কৰি, নিতৌ নিশা আঢ়ৈ বজালৈকে উজাগৰে থাকি দুদিন নিশা চাৰে তিনি বজালৈকে বহি কিতা-

খন লেখিলোঁ। । ইমান কষ্টকৈ কিতাপ লেখিব লাগে কিয় ? নেলেখিলেও দেখোন হয়। ৰাজনীতি কৰা মানুহৰ কাৰণে কিতাপ লেখাটো একপ্ৰকাৰ বিলাসিতা। জীৱনত যি কোনো সুযোগ-সুবিধা নাপালে, জিৰণি কি বস্তু নাজানিলে, তেনে মানুহে যিমান সোনকালে কিতাপ লেখা অভ্যাসটো বৰ্জন কৰিব পাৰে সিমান ভাল। মনতে বহুবাৰ ভাবিছোঁ, কাৰ্য্যত কিন্তু আজিও পৰিণত কৰিব পৰা নাই।"

এই পুথিৰে দ্বিতীয় সংস্কৰণত "আৰু একেষাৰ" কওঁতে তেওঁ কৈছে— "যাৰ স্বকীয় প্ৰতিভা আছে সেইসকলৰ কথা স্বকীয়া। সেইবুলি প্ৰতিভা-শালীসকলৰ ক্ষেত্ৰতো যে প্ৰচেষ্টাৰ প্ৰয়োজন নাই, সেইষাৰ কথা কব খোজা নাই।" 'মেকং নৈ দেখিলোঁ'—ভ্ৰমণ কাহিনী, সাধাৰণ এক প্ৰচেষ্টা। ইয়াত প্ৰতিভাৰ সাঁচ নাই।" —এনে স্বীকাৰোক্তি কেইজনে কৰে? ই বৈষ্ণৱী বিনয় নহয়, গ্ৰন্থকাৰ বৰুৱাৰ অন্তৰৰ খোলা কথা।

'কিউপিড আৰু ছাইকী'তো তেওঁ কৈছে (পাতনিত)—"সাহিত্য সৃষ্টিৰ বাবে অৱসৰৰ প্ৰয়োজন।" 'সানমিহলি'ত তেওঁ আত্মবিশ্লেষণ কৰি চাই মন্তব্য দিছে, "লেখকৰ জীৱনটোৱেই সানমিহলিৰ এটা ভগ্নস্তূপ।" ইত্যাদি।

'এবাৰ পঢ়ি চাওঁ' শিতানৰ—'ব'হাগতে পাতি যাওঁ বিয়া' বোলা গ্ৰন্থ-খনৰ পাতনিত আকৌ পাঠকে 'গোঁসাই ঘৰত কোন' বুলি প্ৰশ্ন কৰাৰ সন্দেহত নিজেই প্ৰশ্নেৰে আৰম্ভ কৰিছে—"অশ্লীল ?—'ব'হাগতে পাতি যাওঁ বিয়া' কিতাপখনত উচপ খাব লগীয়াকৈ অশ্লীল কথা নাই। **পৃথিৱীত অশ্লীল বোলা কিবা এটা বস্তু আছে বুলি নাভাবোঁ! সকলোবোৰ কথা নিজৰ মানসিক সংযম আৰু দৃষ্টিভঙ্গীৰ ওপৰত নিৰ্ভৰ কৰে। মনটো সংযত কৰিব পাৰিলে একো কথালৈ চিন্তা কৰিবলগীয়া নাই। তথাপি কোনো-বাই 'ব'হাগতে পাতি যাওঁ বিয়া' কিতাপখনক যদি অশ্লীল বুলিব খোজে তেন্তে উপায় নাই।" দৰাচলতে এই কিতাপখন বৰুৱাৰ বিবিধ যৌন সাহিত্যৰ অধ্যয়নৰ ফল। দেশ-বিদেশৰ ন-পুৰণি তেওঁ অজস্ৰ যৌন-সাহিত্য অধ্যয়ন কৰিছিল। তেওঁ পাতনিত নিজেই কৈছে যে সেই সময়ত ব্ৰিটিছৰ সংসদভৱনৰ পুথি-ভঁৰালত সেই শ্ৰেণীৰ চৌত্ৰিশখন কিতাপ আছিল। তাৰ উপৰি তেওঁৰ নিজাকৈয়ো একে শ্ৰেণীৰ আৰু দুই-চাৰিখন কিতাপ আছিল। সেই সকলোবোৰ তেওঁ পঢ়িছিল আৰু পঢ়ি তেওঁৰ মনত ভাব

হৈছিল —এই লেখীয়া কিতাপ এখন আমাৰ ভাষাত নেলেখো কিয় ? —তাতেই 'বহাগতে পাতি যাওঁ বিয়া'ৰ জন্ম। মাতৃভাষাৰ দৈন্য দূৰীকৰণৰ এনে চিন্তা আৰু প্ৰয়াস হেম বৰুৱাৰ সাহিত্য সৃষ্টিৰ এটি মূল উৎস। প্ৰাসঙ্গিকভাৱে কোৱা যায় যে ডঃ সূৰ্য্যকুমাৰ ভূঞাৰ স্থানান্তৰত সেই একেধৰণৰ কথাকেই কৈছিল।

'পছোৱাৰ বেঙনি' (১৯৬৯) হেম বৰুৱাৰ অন্য এখন বিবিধ বিষয়ৰ অনুবাদ ৰচনাৰ গ্ৰন্থ। ইয়াৰ পাতনিৰ বোলা হৈছে 'পছোৱাৰ এসোঁত'। তাত পোনতে তেওঁ ১৯৪৮ চনত মাহেকীয়া 'পছোৱা' আলোচনী এখন কেনেকৈ সম্পাদনা কৰিবলৈ লৈছিল আৰু তাৰ সম্পাদনা কেনে অভিনৱ ধৰণৰ, অন্ততঃ অসমীয়া সাহিত্যত নোহোৱা নোপজা বিধৰ আছিল তাৰে এটি ইঙ্গিত দিছে। এবছৰ মাত্ৰ জীয়াই থকা এই মাহেকীয়া আলোচনী খনৰ সাহিত্যিক বৰঙণি উলামূলা বিধৰ নাছিল। ইয়াৰ যাই বিশেষত্ব আছিল এয়ে যে ই আছিল এখন সম্পাদকৰ নাম থকাৰ বহন নকৰা অভিনৱ সাহিত্যালোচনী। ইংৰাজীত এনে আলোচনী আছে। বৰুৱাৰ নিজৰ কথাতে "সম্পাদকীয়ৰ আৰিয়া নোহোৱা 'পছোৱা' আলোচনীয়েই সম্ভৱতঃ সম্পাদকীয়হীন প্ৰথম অসমীয়া আলোচনী"। স্ৰষ্টা থাকে অন্তৰালত, সৃষ্টি হয় প্ৰকাশ—এয়ে আছিল 'পছোৱা'ৰ বিশেষত্ব।

আলোচনী প্ৰকাশৰ পথৰ আহুকালবোৰৰ সৰস আৰু কৰুণ পৰিস্থিতিৰ বৰ্ণনাই 'পছোৱাৰ এসোঁতা'ক সচাকৈয়ে নতুন সাহিত্যৰ এসোঁতা কৰি তুলিছে। প্ৰণম্য শিক্ষক গুৰুজন ডঃ কাকতিয়ে দিয়া উপদেশেৰেই মুক্ত ফল "পছোৱাৰ বেঙনি।" এই শিষ্য গ্ৰন্থকাৰজনাই কৈছে—"পছোৱা আলোচনীত প্ৰায়েই তাঙনি বস্তু প্ৰকাশ কৰা হৈছিল। আন বস্তু পালেও আলোচনী একোখনলৈ প্ৰবন্ধ পোৱাটো টান। প্ৰবন্ধ ৰচনাৰ কাৰণে বিশেষভাৱে অধ্যয়নৰ প্ৰয়োজন। প্ৰবন্ধৰ বাবে হাহাকাৰ কৰি এদিন ডঃ বাণীকান্ত কাকতিদেৱৰ পৰামৰ্শ বিচাৰিলোঁ। 'ছাৰ, কি কৰো ? কিবা এটা পৰামৰ্শ দিয়ক।' তাৰে কলে—'এটা কাম কৰা, ইংৰাজী কিতাপ, আলোচনী পঢ়া, নহয় ? সেইবোৰৰ পৰা বাছি বাছি বস্তু তাঙি আলোচনীখনত প্ৰকাশ নকৰা কিয় ?' শিক্ষাগুৰুৰ এই পৰামৰ্শটো শিৰত লৈ ইংৰাজী কিতাপ-আলোচনীৰ পৰা বহুতো বস্তু 'পছোৱা' আলোচনীত প্ৰকাশ কৰি দিছিলোঁ। তাৰে কিছু-

মানব সঙ্কলন হৈছে 'পছোৱাৰ বেউনি' বোলা এই পুথিখন।" স'চাকৈ জৱহৰলাল নেহৰু, মুলকৰাজ আনন্দ, মাবট্রাণ্ড বাছেল, এ, বাৰ্ণছ, ৰঘুপ্ৰসাদ শাস্ত্রী আদি মনীষীসকলৰ বাছকবনীয়া ৰচনাৰ ভাণ্ডৰিবে ই এখন মুক্তা-মালাৰ যুগজয়ী গ্ৰন্থ।

'ছিন্নমূল' হেম বৰুৱাৰ এখনি শেহতীয়া গ্ৰন্থ (১৯৭৩)। ই বিভিন্ন সময়ত লিখা বাবখন বিভিন্ন বিষয়ৰ ৰচনাৰ সমষ্টি। ইয়াত তেওঁ সাপ্তাহিক 'দৃষ্টিপাত' নাম দিছে। অৰ্থনৈতিক হেঁচাত, গ্ৰন্থকাৰক এই সময়ত কেনেকৈ জুৰুলা কৰিব ধৰিছিল—আৰু সাধাৰণতে লেখকসকলৰ আৰ্থিক অৱস্থা যে সকলোৱে প্ৰায় একেকুৱাই হয়, তাৰ এটি মৰ্মস্পৰ্শী বৰ্ণনা দৃষ্টিপাতে দাঙি ধৰিছে। ইয়াত কথা কম, ভাব বেছি। ৰচনাবোৰৰ মাজে মাজে জ্ঞান-গৰ্ভ, অভিজ্ঞতা-প্ৰসূত বাণী দুই একোটাই পাঠকক স্তব্ধ নকৰি নাথাকে, যেনে, 'বিজ্ঞানে বিচাৰে গণিত, কবিতাই সঙ্গীত' (ভাঙনি সাহিত্যৰ); 'সাহিত্য-সৃষ্টি উদ্দেশ্যধৰ্মী হোৱা উচিত' (আমাৰ সাহিত্যৰ স্বৰূপ); সমাজে যেনেকৈ সাহিত্য গঢ়ে, তেনেকৈ সাহিত্যয়ো সমাজ গঢ়ে' (আমাৰ সাহিত্যৰ স্বৰূপ); ইত্যাদি।

সাহিত্য অৱসৰ-বিনোদনৰ সামগ্ৰী, সেইটো স্বীকাৰ কৰা যায়; কিন্তু মানসিক প্ৰস্তুতি আৰু ঐকান্তিক আগ্ৰহ নাথাকিলে—অপৰিসীম অৱসৰ থাকিলেও সাহিত্য-সৃষ্টি অসম্ভৱ। বৰুৱাই প্ৰাণান্তকাৰী পৰিশ্ৰমেৰে জননী জন্মভূমি আৰু তাৰাজননীৰ কাৰণে যিখিনি কৰি থৈ গ'ল—তেনে দ্বিতীয় এঁগৰাকী ব্যক্তিৰ নাম সম্প্ৰতি আমাৰ মনতে নপৰে।

নতুন অসমীয়া কবিতাৰ জন্মদাতাসকলৰ ভিতৰতো হেম বৰুৱা অগ্ৰগণ্য। কমলনাৰায়ণ-চক্ৰেশ্বৰ ভট্টৰ সম্পাদনাৰ 'জয়ন্তী'তেই নতুন অসমীয়া কবিতাই দুপতীয়া চেহেৰা দেখুৱায় আৰু সেই কবিতাৰ প্ৰথম চাম কবিসকলৰ ভিতৰত হেম বৰুৱাৰ নাম জাকত জিলিকা হৈ থাকিব।

হেম বৰুৱাৰ ইংৰাজী-অসমীয়া গ্ৰন্থ-সন্তানসমূহৰ যাই যাই কেইখনৰ নাম স্মৰণ কৰা অযৌক্তিক নহব। হেম বৰুৱাই ইংৰাজীত লিখিছিল—

1. The August Revolution in Assam (1946)
2. The Red River and the Blue Hill (1954)
3. Fairs and Festivals of Assam (1956)

4. **Modern Assamese Poetry (1960)**
5. **Idle Hours (1961)**
6. **Assamese Literature (1962)**
7. **Folksongs of India (1665).**
8. **Lakshminath Bezbarua (1967)**

নকলেও হব যে এই কেইখন কিতাপে অসম আৰু অসমীয়াৰ গৌৰৱ বাহিৰত উজ্জ্বল কৰি তুলিছে। তেখেতৰ অসমীয়া সাহিত্যৰ পুথি ভৰাঁললৈ আগবঢ়োৱা অৰিহণা (১) জন নেতা, (১৯৪৭), (২) বিয়াল্লিছৰ গণবিপ্লৱত অসম (১৯৪৭); (৩) আধুনিক সাহিত্য (১৯৫০); (৪) সাগৰ দেখিছা (১৯৫৪); (৫) সানমিহলি (১৯৫৭); (৬) ৰঙা কৰবীৰ ফুল (১৯৫৯); (৭) বালিছন্দা (১৯৫৯); (৮) কিউপিড আৰু ছাইকী (১৯৫৯); (৯) কন্নকী (১৯৬০); (১০) এই গাওঁ, এই গীত (১৯৬১); (১১) সাহিত্য আৰু সাহিত্য (১৯৬২); (১২) আঁচু-ফুল (১৯৬৪); (১৩) মনময়ূৰী (১৯৬৫); (১৪) ইজৰাইল (১৯৬৫); (১৫) মেকং নৈ দেখিলোঁ (১৯৬৭); (১৬) ডাক-পখিলী (১৯৬৮); (১৭) বহাগতে পাতি যাওঁ বিয়া (১৯৬৯); (১৮) পছোৱাৰ বেঙনি (১৯৬৯); (১৯) স্মৃতিৰ পাপৰি (১৯৭০); (২০) সত্য আৰু অহিংসা: গান্ধীজী (১৯৭১); (২১) ছিন্নমূল (১৯৭৩); (২২) তলসৰা (১৯৬৬); (২৩) সাহিত্য আৰু সমস্যা (১৯৭৮) ইত্যাদি। দেখা যায় ১৯৬০ৰপৰা ১৯৭০লৈ এই দহ বছৰ কালত একধাৰ সাহিত্য সৃষ্টিৰ ভৰপক হৈছিল।

নতুন কবিতাত আৰু কথা-সাহিত্য সৃষ্টিত হেম বৰুৱাৰ স্থান ইতিহাসে সুদূৰ ভৱিষ্যতত ক'ত দিব তাক আজিয়ে কোৱা টান। অহেতুক ভাবঃ প্ৰৱণতাক বাদ দি বৌদ্ধিক যুক্তিৰ প্ৰতি আগ্ৰহ প্ৰদৰ্শন কৰা আৰু জীৱনৰ প্ৰকৃত ছবি- বিশেষকৈ তাৰ দুখ-দৈন্যভৰা কৰুণ কালটোৰ ছবি মূৰ্ত কৰিবলৈ যত্ন কৰা নতুন কাব্যৰীতিৰ মুখ্য উদ্দেশ্য। তাৰ কাৰণে কবিসকলে ন ন প্ৰতীক আৰু ন ন শব্দ সৃষ্টিৰ সহায় লয়। চিনাকি বচন আৰু শব্দ যোজনা আৰু চিনাকি ৰূপক-উপমা আদিৰ লগত হোৱা সঘন সাক্ষাৎ- লাভে পৰম্পৰাগত কাব্যৰীতিৰ পাঠকক আচহুৱা আচহুৱা অনুভৱ কৰিব নিদিয়ে। বিপৰীতে নতুন কাব্যৰীতিত প্ৰতি পদক্ষেপতে নতুন আলহীৰ লগত চিনাকি হৈ বস্তুৰ স্বাপন কৰি আগবাঢ়িব লাগে, সেয়েহে সাধাৰণ

পাঠকৰ অধ্যয়নত গতি মন্থৰ আৰু মন সতৰ্ক হৈ থাকিব লগাত পৰে। হেম বৰুৱাৰ 'মন-ময়ূৰী'ৰ দুই-এটা কবিতাত তেনে অচিনাকি আলহীৰ সংখ্যা অপেক্ষাকৃতভাৱে কম হোৱা হেতুকে সেইবোৰ সাধাৰণ পাঠকৰ কাৰণেও আপোন-আপোন যেন লাগিব খোজে। বৰুৱাৰ নতুন কবিতাৰ প্ৰাথমিক সাফল্য আৰু জনপ্ৰিয়তাও সাধাৰণ পাঠকৰ পক্ষৰপৰা সিমানেই। সময়ে হয়তো জনতাক এনে কবিতাৰ আৰু ওচৰ চপাই আনিব।

হেম বৰুৱা আছিল ঘাইকৈ সৰবৰহী নেতা আৰু বাগ্মী সংসদী সদস্য। গদ্যৰ ভাষা তেওঁৰ অতিশয় সৰস, সবল আৰু অবিৰাম গতিত বৈ যোৱা বিধৰ। তেওঁৰ গদ্য ৰীতিৰ সেয়ে বিশেষত্ব। কিন্তু স্বীকাৰ কৰিব লাগিব তেওঁৰ ৰচনা কেতিয়াবা কেতিয়াবা ইংৰাজী ভাষাৰ উদ্ধৃতিৰে ভাৰাক্ৰান্ত হৈ পৰে, আৰু তেতিয়া সি সাধাৰণ পাঠকৰ হাতৰপৰা পিচলি পৰি অতৰ্কিতে ওপৰলৈ উৰা মাৰিব খোজে। এইটো তেওঁৰ বিপুল অধ্যয়নৰে এটা ফল। তেনে অধ্যয়নলব্ধ জ্ঞান ডঃ কাকতিৰ লেখনীতো প্ৰকট হৈছিল, কিন্তু সি তাত একোটা নতুন চিনাকি ৰূপ লৈহে দেখা দিছিল। বৰুৱাৰ ক্ষেত্ৰত তেনে ঘটিবলৈ যেন সময় আৰু সুযোগৰ নাটনি পৰিছিল। অৱশ্যে সময়ৰ তেনে নাটনিৰ কথা তেওঁ নিজেও মুক্তকণ্ঠে আৰু বেদনাকাতৰভাৱে একাধিকবাৰ স্বীকাৰ কৰিছে।

বত্তাহে বনজুইক সহায় কৰাৰ দৰে জনপ্ৰিয় বাক্‌পটুতাই হেম বৰুৱাৰ সাহিত্যৰ জনপ্ৰিয়তা বৃদ্ধিত সহায় কৰিছিল। তেওঁৰ লেখা পঢ়িলে তেওঁৰ বক্তৃতা শুনি থকা যেন লাগে, গতিকে পাঠকে তাৰ বাগীত মজি নোযোৱাকৈ থাকিব নোৱাৰে। সময়ৰ হাত বুলনিত সেই জনপ্ৰিয়তা কিছু হ্ৰাস পালেও তেওঁৰ আকৰ্ষণীয় প্ৰকাশ-ভঙ্গী, বিষয়-বস্তুৰ বৈচিত্ৰ্য আৰু অধ্যয়নপুষ্ট উক্তিবোৰে পাঠকৰ মনত সদায় চিন্তা আৰু কৌতূহল জগাই থাকিব।

ভাষাৰ ওপৰত হেম বৰুৱাৰ অসামান্য দখল আছিল। তাৰ সহায়তে তেওঁ ভ্ৰমণ কাহিনীক অসমীয়া সাহিত্যত নতুন স্থান দিলে। তেওঁৰ ভ্ৰমণ কাহিনীবোৰ বৰ্ণনা নহয়, সেইবোৰত পৰ্য্যাপ্ত পৰিমাণে কাব্যিক সৰসতা আছে। তেওঁৰ বৰ্ণনাৰ বিশেষত্ব এয়ে যে তেওঁৰ মনত থকা অসমীয়া, ইংৰাজী, বঙলা উদ্ধৃতিবোৰে সুৰুঙা পালেই ওলাই আহি সহধৰ্মী বৰ্ণনাৰ লগত লীন পাবি বহি যায়। তাকে কৰোঁতে তেওঁ 'সাগৰ দেখিছা'ৰ

কলংপৰীয়া কবি দেৱকান্ত বৰুৱাক আৰু ইংৰাজ কবি শ্যেলী আৰু টেনি-চনক সমনে সোঁৱৰে বুলিলে বোধকৰো ভুল নহব। তেওঁ বৰুৱাৰ বিভিন্ন সাহিত্যই বহু কাললৈ অসমীয়া সাহিত্যৰ দিগন্ত পোহৰ কৰি ৰাখিব, সেইটো সহজে অনুমান কৰা যায়।

(জন্ম : [illegible] ১৯১৪ চনৰ ২২ এপ্ৰিলত ; মৃত্যু : গুৱাহাটীত ১৯৭৭ চনৰ ৯ এপ্ৰিলত)।



শৰৎচন্দ্ৰ গোস্বামী

এটা অনুষ্ঠান মানে এজন বা জনদিয়েক কৰ্মী—ই এটা স্বতঃসিদ্ধ সত্য। কেতিয়াবা আকৌ একোজন লোকেই হয় একোটা মহৎ অনুষ্ঠানৰ স্নায়ুকেন্দ্ৰ বা প্ৰাণস্বৰূপ। ভাৰতীয় কংগ্ৰেছ মহাসভাত এসময়ত সভাপতি বা কাৰ্য্য-নিৰ্বাহকৰ (হাই কমাণ্ডৰ সদস্য) হৈ নথকা সত্ত্বেও মহাত্মা গান্ধী আছিল তাৰ প্ৰাণস্বৰূপ। সেয়ে নহলে, নেতাজী সুভাষ চন্দ্ৰ বসুৰ দৰে লোককো সভাপতিৰ গণতান্ত্ৰিক দায়িত্বৰপৰা বিতাৰিত কৰিবলৈ তেওঁৰ এষাৰ বচনেই জানো যথেষ্ট হয়? ডঃ পট্টাভি সীতাৰামিয়াক পৰাস্ত কৰি যেতিয়া নেতাজী সুভাষ বসুৱে সভাপতিৰ সন্মান লভিবলৈ সমৰ্থ হ'ল, তেতিয়া মহাত্মা গান্ধীক সেই খবৰ দিয়াত তেওঁ মাত্ৰ এটা বাক্য কৈছিল—Defeat is more mine than Dr. Pattavi Sitaramiya's—পৰাজয় মোৰহে ডঃ পট্টাভি সীতাৰামিয়াৰ নহয়; আৰু তাৰে প্ৰতিক্ৰিয়া হৈ পৰিল—বিৰাট, বিপুল, বিশ্বব্যাপী। পৰিমাণত আৰু প্ৰতিপত্তিৰ ফালেদি সিমান নহলেও অসম সাহিত্য সভাৰ প্ৰতিষ্ঠা আৰু সংবৰ্দ্ধনৰ ক্ষেত্ৰত স্বৰ্গীয় শৰৎচন্দ্ৰ গোস্বামীৰো অৰিহণা এলাপেচা বিধৰ নাছিল। সেয়েহে এগৰাকী প্ৰাক্তন সভাপতিয়ে সাহিত্য সভাৰ অৰ্দ্ধশতাব্দীৰ কাৰ্য্য স্মৰণ কৰিবলৈ গৈ অসম সাহিত্য সভাৰ হীৰক জয়ন্তী উছৱৰ গ্ৰন্থ 'হীৰক জ্যোতি'ত কৈছে—যিকেইজন দূৰদৰ্শী অসমীয়া ভাষা-সাহিত্যৰ প্ৰতি গভীৰ শ্ৰদ্ধাবান সাহিত্যিকৰ মনত এনে এটি অনুষ্ঠানৰ (অসম সাহিত্য সভা প্ৰতিষ্ঠাৰ) পৰিকল্পনা জন্ম হৈছিল, সেই সকলৰ ভিতৰত শৰৎচন্দ্ৰ গোস্বামীৰ নাম প্ৰথমেই লব লাগিব। তেখেতৰ প্ৰেৰণাতে যোৰহাটত এটি সৰু গোষ্ঠীয়ে এই উদ্দেশ্য কাৰ্য্যত পৰিণত কৰিবলৈ গোস্বামী দেৱৰ নেতৃত্ব মানি ললে।' (আনন্দ চন্দ্ৰ বৰুৱা)। এনে এদিন আছিল যেতিয়া স্কুল ইন্সপেক্টৰ বুলিলে বুজা গৈছিল কেৱল শৰৎ-চন্দ্ৰ গোস্বামীকহে; নগাৱৰ স্কুল বুলিলেই মানুহৰ মনলৈ আহিছিল শৰৎচন্দ্ৰ গোস্বামীৰ নাম আৰু কামৰ কথা। সেয়েহে তেওঁ হৈ পৰিছিল তালৈকেইটা জাতীয় অনুষ্ঠানৰ আনীতৰ প্ৰতীক স্বৰূপ।

শৰৎচন্দ্ৰ গোস্বামীৰ জন্ম হৈছিল কামৰূপ জিলাৰ নলবাৰী সত্ৰত ১৮৮৭ চনৰ ১২ মে' তাৰিখে, আৰু মৃত্যু ১৯৪৪ চনৰ ১৯ ডিচেম্বৰত দিল্লী মহানগৰীত। তেওঁৰ পিতৃৰ নাম ললিত চন্দ্ৰ আৰু মাতৃৰ নাম মুকুন্দ প্ৰিয়া। পিতৃ-মাতৃৰ আঠোটা সন্তানৰ ভিতৰত তেওঁ আছিল চতুৰ্থ। পণ্ডিত প্ৰতাপ চন্দ্ৰ গোস্বামী তেওঁৰ ককায়েক। এই দুই ককাই-ভাইক বহুতে সেই সময়ত ৰাম-লক্ষ্মণ বুলি উল্লেখ কৰিছিল। শৰৎচন্দ্ৰৰ ঘৰত মতা নাম আছিল চানাবাপা।

শৰৎচন্দ্ৰই প্ৰাথমিক শিক্ষাৰ বাবে পঢ়াশালি দেখা নাছিল। ঘৰতে তেওঁক মাটিৰাম দাস নামৰ গৃহ-শিক্ষক এজনে পঢ়ুৱাইছিল। প্ৰাথমিক শিক্ষাৰ অন্তত ঘৰৰপৰা এমাইলমান দূৰত থকা নলবাৰী মাইনৰ স্কুলত তেওঁ পঢ়িবলৈ গৈছিল। তেতিয়া মাইনৰ স্কুলতে মজলীয়া ছাত্ৰবৃত্তি পঢ়াৰ কাৰণেও সুবিধা আছিল। ইংৰাজী পঢ়িবলৈ ইচ্ছুকসকলে মাইনৰত আৰু অসমীয়াতে ছাত্ৰবৃত্তি পঢ়িব খোজাসকলে মজলীয়া ছাত্ৰবৃত্তি শ্ৰেণীত পঢ়িছিল। গোস্বামী মজলীয়া ছাত্ৰ-বৃত্তি শ্ৰেণীত ভৰ্ত্তি হৈছিল যদিও তলেতলে তেওঁ ইংৰাজী শিক্ষাও লাভ কৰিছিল। পাছত সেই স্কুলৰপৰাই ছাত্ৰবৃত্তি পৰীক্ষা দি তেওঁ অসম উপত্যকাত প্ৰথম হৈ বৃত্তি লাভ কৰে আৰু ১৯০০ ইংৰাজী চনত কটন কলেজিয়েট স্কুলত নাম লগায়। সেই বছৰতে তেওঁৰ পিতৃ-বিয়োগ ঘটে। দুখে-কষ্টে পঢ়ি-শুনি তেওঁ ১৯০৪ চনত প্ৰথম বিভাগত প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হয় আৰু সোণৰ আৰু ৰূপ তিনিটি পদক লাভ কৰে। তাৰ পাছত গুৱাহাটী কটন কলেজত এফ. এ. পঢ়ি ১৯০৬ চনত অসমীয়া পৰীক্ষাৰ্থী-সকলৰ ভিতৰত প্ৰথম হৈ বৃত্তি আৰু স্বৰ্ণ-পদক লাভ কৰে। বি. এ. পঢ়িবৰ কাৰণে সেই বছৰৰ ভিতৰতে তেওঁ কলিকতালৈ যায় আৰু তেতিয়াৰ মেট্ৰো-পলিটান আৰু আজিকালিৰ বিদ্যাসাগৰ কলেজত নাম লগায়। বি. এ.ত শৰৎ-চন্দ্ৰই দৰ্শন আৰু সংস্কৃতত 'অনাৰ্ছ' পঢ়িছিল। কিন্তু পৰীক্ষাৰ ওচৰত হোৱা আকস্মিক অসুস্থতাৰ হেতুকে ডাক্তৰৰ পৰামৰ্শমতে 'অনাৰ্ছ' এৰি দি বি. এ. পৰীক্ষা দিবলৈ বাধ্য হয়। তাতো তেওঁ সুখ্যাতিৰে উত্তীৰ্ণ হৈ 'ইউনিভাৰ্চিটি প্ৰাইজ' লাভ কৰে। বি. এ.ত অনাৰ্ছ পৰীক্ষা দিব নোৱাৰি তেওঁ ক্ষুণ্ণ হয় আৰু এম. এ. পঢ়িবলৈ মনত সংকল্প কৰে। ঘৰৰ অৱস্থা স্বচ্ছল নাছিল বাবে তেওঁ তেতিয়া 'নগেন্দ্ৰ প্ৰিন্টিং ওৱাৰ্কছ' নামৰ ছপা-শালত কাম কৰি এম. এ. পঢ়িবলৈ আৰম্ভ কৰে। সেই সময়ত অসমৰ

শিক্ষাধিকাৰ আছিল মিষ্টাৰ ছাৰ্প নামে এজন চাহাব। মিষ্টাৰ ছাৰ্প পাছত গৈ ছাৰ ছাৰ্প হৈছিল। তেওঁ ছাৰ্প চাহাবলৈ এটা পকাচ টকীয়া স্নাতকোত্তৰ বৃত্তিৰ কাৰণে দৰ্খাস্ত কৰে। ছাৰ্প চাহাবে দৰ্খাস্তকাৰীৰ প্ৰতিভাৰ কথা জানিব পাৰি তেওঁক বৃত্তিৰ পৰিবৰ্তে মাহে ৭৫ টকাত স্কুলসমূহৰ ডেপুটি ইন্সপেক্টৰৰ চাকৰি এটা যাচিলে। গোঁসাই নিৰুপায় হ'ল আৰু ততালিকে তেওঁৰ ককায়েক প্ৰতাপ গোস্বামীলৈ পৰামৰ্শ বিচাৰি চিঠি লিখিলে। ককায়েকে কলে—দৰমহা যদি ৭৫ টকাৰ ঠাইত এশ টকাকৈ দিয়ে, তেনেহলে গ্ৰহণ কৰা হেয়া নহব। কাৰ্য্যত সেয়ে হ'ল। এশ টকীয়া দৰমহাত ডেপুটি ইন্সপেক্টৰ হৈ তেওঁ মঙ্গলদৈত কাৰ্য্যভাৰ গ্ৰহণ কৰিলে গৈ। ই ইংৰাজী ১৯১০ চনৰ কথা।

১৯০৪ চনত প্ৰবেশিকা পৰীক্ষা দিয়াৰ পাছতে তেওঁ আঠবৰীয়াৰ বিখ্যাত পণ্ডিত নাৰায়ণদেউৰ কন্যা ভুৱনেশ্বৰী দেৱীক বিয়া কৰায়। নাৰায়ণদেউ হাজোৰ প্ৰতিপত্তিশীল দলৈ আছিল। চাকৰিত প্ৰৱেশ কৰি গোস্বামীয়ে পত্নীক নিজৰ লগত ৰাখিবলৈ স্থিৰ কৰিলে। তেওঁ সেই উদ্দেশ্যে ছুটী লৈ ঘৰলৈ গ'ল, কিন্তু মাক আৰু ইষ্ট-মিত্ৰসকলৰ আদেশ-উপদেশ, বাধা-নিষেধ আদি এশ এটা প্ৰতিবন্ধকৰ কাৰণে সেইবাৰ পত্নীক মঙ্গলদৈলৈ নিব নোৱাৰিলে। কিছু দিনৰ পাছত দ্বিতীয়বাৰ তেওঁ কাকো খবৰ নিদিয়াকৈ গৈ মাকৰ অনুমতি লৈ সহধৰ্মিণীক তেওঁৰ কৰ্মস্থলী মঙ্গলদৈলৈ নিয়াৰ ব্যৱস্থা কৰিলে। এইবাৰ মিত্ৰি-কুটুমসকলে গমকে নাপালে কাৰণে তেওঁলোকৰ হিতকৰ উপদেশে তেওঁক চুকি নাপালে।

১৯০৯ চনত গুৱাহাটীলৈ ৰেলপথ আৰম্ভ হয়। গোস্বামীয়ে নতুন ৰেল-গাড়ীত তুলি গৃহিণীক ৰাইহাটা পৰ্য্যন্ত নিলে আৰু তাৰপৰা প্ৰায় একুৰি পাচ মাইল বাট তেওঁলোক গৰু-গাড়ীত মঙ্গলদৈলৈ গ'ল। এইখিনি বাট যাওঁতে তেওঁৰ হেনো বাৰ ঘণ্টা সময় লাগিছিল। বাটত কইনা দেখা মানুহে তেওঁলোকক আমনি নকৰাকৈ নাছিল। ছিপাঝাৰত তেওঁৰ গুণমুগ্ধ লোক-সকলে গাড়ী ৰখাই দিধা খুৱাই পঠাব খুজিছিল। গোঁসায়ে ইচ্ছা নকৰাত তেওঁলোকে হেনো দৰা-কইনাক মালভোগ কল, দৈ, গুড় আৰু জোহা চাউলৰ জলপান খুৱাই পঠায়। গোঁসায়ে তেওঁৰ দিন-লেখাত এই কথাৰ টোকা লেখি ৰাখিছিল। মঙ্গলদৈত বাতিঅাহা মজলাৰ ধুৰি এটা তক-

তীয়া সম্প্ৰদায় আছে। এই সম্প্ৰদায়ৰ ভকতসকলে তেওঁলোকৰ সম্প্ৰদায়গত নিয়মতে অন্তৰ্ভুক্ত নোহোৱা ভকতৰ আগত তেওঁলোকৰ ভক্তি-পন্থাৰ কথা-শাৰ ব্যক্ত নকৰে। মঙ্গলদৈত প্ৰথমে গোস্বামীদেৱে আৰু পাছত কাশিৰাম মেধি ডাঙৰীয়াই তেওঁলোকৰ বিশ্বাসত সোমাই লৈ এই সম্প্ৰদায়টোৰ বিষয়ে কথা জানিবলৈ আৰু কাকতে-পত্ৰই প্ৰবন্ধ লেখি প্ৰচাৰ কৰিবলৈ সমৰ্থ হয়। পণ্ডিত হেমচন্দ্ৰ গোস্বামীদেৱেও এই বিষয়ে কিছু তথ্য সংগ্ৰহ কৰি প্ৰকাশ কৰিছিল।

নতুন নতুন অনুষ্ঠান গঢ়াত আৰু সংগঠনমূলক কামৰ দায়িত্ব গ্ৰহণ কৰাত শৰৎচন্দ্ৰ গোস্বামী সদায় অগ্ৰগণ্য আছিল। তেওঁৰ সমস্ত জীৱনটোকে বিভিন্ন অনুষ্ঠানৰ এটা জীৱন্ত প্ৰতীক বুলি ধৰিব পাৰি। কিছুমান লোকৰ হাতেৰোৱা গছ-পুলি নমৰে: য'তে গুজি থয়, ত'তে জী গজালি দি উঠে। অনুষ্ঠানবোৰ সম্পৰ্কে গোস্বামী আছিল তেনে এগৰাকী লখিমী হাতৰ লোক। মঙ্গলদৈত ডেপুটী ইন্সপেক্টৰ হৈ থাকোঁতে তেওঁ ১৯১১ চনত 'কেন্দ্ৰসভা' বুলি প্ৰাইমাৰী স্কুল পণ্ডিতসকলৰ এখন সভা পাতি দিছিল। সেই সভা প্ৰত্যেক ইংৰাজী মাহৰ শেষ তাৰিখ বা পহিলা তাৰিখে বহে। শিক্ষকসকলৰ মাজত সম্প্ৰীতি, সহযোগিতা আৰু চা-চিনাকি বঢ়োৱাই ইয়াৰ মুখ্য উদ্দেশ্য আছিল। কোনো এখন স্কুলক কেন্দ্ৰ কৰি সকলোৰে সুবিধাজনক স্কুল এখনত পূৰ্বনিৰ্দ্দিষ্টমতে এই সভা বহে। তাত মাহে একাৰকৈ নিৰ্দ্দিষ্ট মণ্ডল একোটাৰ শিক্ষকসকল গোট খাই অন্যান্য আলোচনাৰ উপৰি শিক্ষা-প্ৰণালী আৰু শিক্ষা-দানৰ অসুবিধাবোৰ আলচ কৰে। এজন শিক্ষকে কিছু সময় আদৰ্শ প্ৰশিক্ষণ দিয়ে, বাকীসকলে তাত প্ৰশ্ন আৰু আলোচনাৰ মাজেদি সহযোগিতা কৰে। যেনোৱে গল্প, ৰম্য ৰচনা আদিও লেখি নি পাঠ কৰে। এনে কৰণৰ কেন্দ্ৰ-সভা তেওঁ ইন্সপেক্টৰ হোৱাৰ পাছত সমগ্ৰ জিলাখনতে স্থাপন কৰাইছিল। সেইবোৰ কেন্দ্ৰসভা আজিও চলি আছে। এই জীৱনী লেখৰ তথ্য কিছু লয় কেইজনে?

১৯৩১ চনৰ শেষ ভাগত গোস্বামী চাকৰিৰ পৰা অৱসৰ লয় আৰু ১৯৩২ চনত প্ৰথম শ্ৰেণীৰ অৱসৰ ভাতা লাভ কৰি উত্তীৰ্ণ হয়। তেওঁক তেতিয়া সহকাৰী ইন্সপেক্টৰ পদলৈ উন্নীত কৰি গোৱালপাৰালৈ পঠোৱা হয়। গোস্বামীদেৱে চাকৰিত প্ৰায় ত্ৰিশ বছৰ কাল গোৱালপাৰাতে কটায়। সহকাৰী

ইন্সপেক্টৰ হৈ তেওঁ অসমৰ হাইস্কুলবোৰৰ টুৰ্ণামেণ্ট খেলা সুন্দৰকৈ পৰিচালনা কৰে। এই বিষয়ত তেতিয়াৰ শিক্ষাধিকাৰ কানিংহাম চাহাব তেওঁৰ কাৰ্যশক্তি আৰু পৰিচালনাৰ দক্ষতা দেখি মুগ্ধ হয়। তেতিয়া টুৰ্ণামেণ্ট পাঁচ বছৰৰ মূৰে মূৰে হৈছিল। একাধিকবাৰ গোঁসাইদেৱে নিজে তাৰ ভাৰ ধৰিছিল।

সেই সময়তে নিচেই সামান্য ঘটনা এটায়ে বাঢ়ি গৈ ভয়ঙ্কৰ ৰূপ ধাৰণ কৰিব ধৰিছিল। কান্দুৰাম চকীদাৰ বুলি এজন চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীক কিবা কাৰণত খং উঠি ইন্সপেক্টৰ স্মল চাহাবে গোৰ মাৰি দিছিল। তাতে বগা চাহাবৰ মাৰ খোৱা বুলি খেলে তেওঁক প্ৰায়শ্চিত্তৰ মূল্য বাবদ কুৰি টকা দণ্ড বিহিছিল আৰু আদায় দিব নোৱাৰাত এঘৰীয়া কৰি ৰাখিছিল। তাকে লৈ চাৰিও ফালে তোলপাৰ লাগিল : ফিৰিঙতিৰপৰা খাণ্ডৱ দাহ হোৱাৰ উপক্ৰম হ'ল। গোস্বামীয়ে তেতিয়া স্মল চাহাবক তেওঁৰ ভুলৰ কথা বুজালে আৰু দুয়ো পক্ষৰ ভিতৰত এটা আপোচ মীমাংসা কৰাৰ উদ্দেশ্যে দুয়োকে নিজৰ ঘৰলৈ মাতি আনিলে। স্মল চাহাবে সমাজৰ ভঁৰ দিবলৈ কান্দুৰামক টকা কুৰিটা দিলে আৰু বেয়া নাপাবলৈ হাতত ধৰি মাফ খুজিলে। উদ্বেলিত হবলৈ ধৰা বিপদৰ ঢৌৱে সিমানতে শাম কাটিলে।

১০১৫ চনত গোস্বামী যোৰহাট নৰ্মাল স্কুলৰ চুপাৰিণ্টেণ্ডেণ্ট পদত নিযুক্ত হয়। এই পদতে তেওঁক একেৰাহে বাৰ বছৰৰো অধিক কাল ৰখা হয়। তেওঁৰ যত্নতে যোৰহাট নৰ্মাল স্কুলখন এটা বিশিষ্ট অনুষ্ঠানত পৰিণত হয়। অসম সাহিত্য সভা আৰু যোৰহাট নৰ্মাল স্কুলৰ যোগত যোগে উঠি অহা অৱস্থা দেখি বাগ্মীবৰ নীলমণি ফুকনে কৈছিল—"গোঁসাইদেৱৰ হাতৰ কাম কিদৰে শিপাব পাৰে, যোৰহাট নৰ্মাল স্কুল আৰু অসম সাহিত্য সভায়েই তাৰ নিদৰ্শন। এই দুয়োটা অনুষ্ঠান কুমাৰৰ হাতৰ মাটিলডাই ধুনীয়া বাচনৰ গঢ় লোৱাৰ দৰে তেওঁৰ হাতত বিশেষ গঢ় লোৱা বস্তু। এই দুই অনুষ্ঠানত শৰৎ চন্দ্ৰই যি পোহৰ ঢালিছিল, তাৰ উজ্জ্বলতা আজি সমানে প্ৰকাশ পোৱা নাই যদিও, তাৰ আভা কোনো কালে লোপ পাব নোৱাৰে।"
গোস্বামীদেৱে এই অনুষ্ঠানবোৰ সুচাৰুৰূপে পৰিচালনা কৰি ক্ষান্ত থকা নাছিল। তাত তেওঁৰ বিশাল ব্যক্তিত্বৰ একোটা মচিব নোৱাৰা সাচো দিছিল। তেওঁৰ আৰ্হি আৰু উপদেশমতে চলি যোৰহাট নৰ্মাল স্কুলখন এখন প্ৰকৃত স্বাৱলম্বী আশ্ৰমত পৰিণত হৈছিল। ইয়াৰ শিক্ষাৰ্থীসকলে নিজৰ হাতে

উঠি ব্যায়াম কৰিব লাগিছিল, আৰু নিজে ভাত ৰান্ধি, পানী আনি, খৰি ফালি, কাপোৰ ধুই, সৰ্বতোপ্ৰকাৰে স্বাৱলম্বী হৈ চলিব লাগিছিল। 'আত্ম-বলম্ পৰম্ বলম' আছিল নৰ্মাল স্কুলৰ ছাত্ৰ-শিক্ষক সকলোৰে আদৰ্শ।

ছাত্ৰ কালৰপৰাই গোস্বামী আছিল মনেপ্ৰাণে সাহিত্যানুৰাগী। হাইস্কুলত তেওঁ দুটি গল্প লেখি প্ৰতিযোগিতাত পুৰস্কাৰ লভিছিল। কলেজিয়েট স্কুলত পঢ়া দিনত 'সুনীতি সঞ্চাৰিণী সভা' নামে এখন সভা আছিল। সেই সভা প্ৰত্যেক মাহৰ শেষ সপ্তাহৰ দেওবাৰে বহিছিল। তাতে তেওঁ গল্প, প্ৰবন্ধ আদি পাঠ কৰিছিল। এই সভাৰপৰা এবাৰ প্ৰতিযোগিতাত গোস্বামীয়ে চুটি গল্পত আৰু ৰঘুনাথ চৌধাৰীদেৱে কবিতাত পুৰস্কাৰ লভিছিল। নৰ্মাল স্কুলতো তেওঁ ছাত্ৰসকলৰ সাহিত্য চৰ্চাৰ কাৰণে 'প্ৰভাত' নামে তিনিমহীয়া আলোচনী এখন প্ৰকাশ কৰাৰ সুন্দৰ ব্যৱস্থা কৰি দিছিল।

'প্ৰভাত'ত আলোচনীৰ নামটোৰ লগত এটা কৰুণ কাহিনী জড়িত হৈ আছে। আলোচনী এখন উলিওৱাৰ উমঘাম চলি থাকোঁতে গোঁসাইৰ দ্বিতীয় সন্তান, প্ৰথম আৰু একমাত্ৰ পুত্ৰ প্ৰভাতে সন্নিপাত জ্বৰত পৰি হঠাৎ ইহধাম ত্যাগ কৰে। তেতিয়া নৰ্মাল স্কুলৰ ছাত্ৰসকলে গোসাঁই গোসাঁনীৰ অনুমতি লৈ তেওঁলোকৰ নৱ সাহিত্য-উদ্যম আলোচনীখনৰ নাম থলে 'প্ৰভাত'। 'প্ৰভাত' কাকতখনৰ প্ৰতি এই বাবে গোস্বামী ডাঙৰীয়াৰ এটা বিশেষ আকৰ্ষণ আছিল।

বহু-শিক্ষা প্ৰণালী গোস্বামীদেৱৰ এটা নিজস্ব উদ্ভাৱন। প্ৰাইমাৰী স্কুল-বোৰত শিক্ষকৰ সংখ্যা কম, অথচ তালেকেইটা শ্ৰেণীৰ অসংখ্য ছাত্ৰ সেই কম সংখ্যক শিক্ষকসকলেই চলাব লগীয়া হয়। কেনেকৈ সেই কাম নিয়াৰিকৈ কৰা যায়, সেই বিষয়ে চিন্তা কৰি তেওঁ নতুন উপায় উদ্ভাৱন কৰিছিল আৰু তাৰ কাৰণে 'বহু-শিক্ষা প্ৰণালী' বুলি পুথি পৰ্যন্ত ছপাই উলিয়াইছিল। পৰিদৰ্শকসকলে ইয়াৰ ভূৰি ভূৰি প্ৰশংসা কৰিছিল।

সমবায় ভঁৰাল খুলি কেনেকৈ সমূহীয়াভাৱে লাভবান হৈ সমাজহিতকৰ কাৰ্য্যত লভ্যাংশ খটাব পাৰি, তাকো শিক্ষা ছাত্ৰসকলক তেওঁ হাতে-কামে দিছিল। যোৰহাট নৰ্মাল স্কুলৰ সমবায় ভঁৰাল তেতিয়াৰ এটা আদৰ্শ অনুষ্ঠান আছিল। বহুত দুখীয়া মেধাৱী ছাত্ৰক ইয়াৰ লাভৰ ধনেৰে সহায় কৰা হৈছিল।

যোৰহাটতে গোঁসাইদেৱে নৰ্মাল স্কুলৰ 'ন-পুৰণি ছাত্ৰৰ সন্মিলন' বুলি এখন প্ৰীতি সন্মিলন পাতিছিল। পাছত সেয়ে ৰূপান্তৰিত হৈ 'অসম শিক্ষক সন্মিলন' নাম গ্ৰহণ কৰে। এই সন্মিলনৰ যত্নতেই প্ৰাইমাৰী স্কুলৰ পণ্ডিতৰ দৰমহা আঠ টকাৰ পৰা বাৰ টকালৈ বাঢ়িছিল। অকল সেয়ে নহয়, গৱৰ্ণমেণ্ট ছাত্ৰবৃত্তি আৰু মাইনাৰ স্কুলৰ পণ্ডিতৰ প্ৰাৰম্ভিক দৰমহা ত্ৰিশ টকা আৰু হাইস্কুলৰ অসমীয়া শিক্ষকৰ দৰমহা চল্লিছ টকা হোৱাৰ গুৰিতো আছিল এই সন্মিলনেই।

নৰ্মাল স্কুলত 'জ্ঞানদায়িনী' আৰু 'ধৰ্মালোচনী' নামৰ দুখন সভা আছিল। প্ৰতি শনিবাৰে আবেলি 'জ্ঞানদায়িনী' আৰু দেওবাৰে ৰাতিপুৱা 'ধৰ্মালোচনী সভা বহিছিল। জ্ঞানদায়িনী সভায়েই 'প্ৰভাত' আলোচনীৰ জন্মদাতা। 'প্ৰভাত' নৰ্মাল স্কুলৰ ছাত্ৰৰ কাৰণে হৈ পৰিছিল গল্প, প্ৰবন্ধ, কবিতা আদিৰ কঠীগাতলী। নৰ্মাল স্কুলৰ তদানীন্তন সংস্কৃত পণ্ডিত কনক চন্দ্ৰ শৰ্মা কাব্য-তীৰ্থই ধৰ্মালোচনী সভাৰ গুৰি ধৰিছিল। গোঁসাই আছিল দুয়োখনৰে স্ৰষ্টা আৰু সৰ্বময় পৃষ্ঠপোষক।

এইখিনিতে গোস্বামীদেৱৰ পৰিচালনাৰ দক্ষতা আৰু কৌশল সম্পৰ্কে এটা ঘটনাৰ কথা উল্লেখ কৰা যাওক। ১৯২১ চনৰ কথা। স্বৰাজ আন্দোলনৰ সময়। মহাত্মা গান্ধী অসমলৈ আহিছিল। চাৰিওফালে হুলস্থূল-হেন্দোল-দোপ। সকলোৰে মুখত মহাত্মা গান্ধীৰ কথা; স্বৰাজ আন্দোলনৰ কাহিনী; বিলাতী বস্ত্ৰদাহৰ গৰম গৰম আলাপ-আলোচনা। সেইদিনা দিনৰ দহ বজাত মহাত্মা গান্ধী ৰেলেৰে যোৰহাট পাবহি। দুই বজাত ৰাজহুৱা সভা। ছাত্ৰবোৰ যে দহ বজাত ৰেল-ষ্টেচনলৈ মহাত্মা গান্ধীক দৰ্শন কৰিবলৈ যাব — সি নিশ্চিত। তেওঁলোকক স্কুলত বন্ধ কৰি ৰখাও টান হব। গোঁসায়ে কাকো নোসোধাকৈ ৰাতিপুৱা জাননী দি সকলোকে জনাই দিলে যে সেই-দিনা স্কুল ১১.৩০ বজাত বহিব আৰু তেৰ বজাত ছুটী হব। এনে আদেশ শুনি ছাত্ৰসকল আনন্দত উৎফুল্লিত হ'ল। বাইজৰ লগত গৈ তেওঁলোকে মহাত্মা গান্ধীক ৰেল ষ্টেচনত আদৰিলে আৰু আবেলি ছুটীৰ পাছত ৰাজহুৱা সভাত তেখেতৰ ভাষণো শুনিলে।

বাৰ বছৰ চুপাৰিণ্টেণ্ডেণ্ট হৈ নৰ্মাল স্কুল চলোৱাৰ পাছত গোস্বামী শিক্ষা বিভাগৰ বিশেষজ্ঞ বিষয়া নিযুক্ত হৈছিল। এবাৰ, দুবাৰ নহয় তিনি-

যাব এৰা-ধৰাকৈ তেওঁ এই পদৱী গ্ৰহণ কৰি চৰকাৰক নতুন নতুন পৰিকল্পনাত খাপ খোৱাকৈ আঁচনি তৈয়াৰ কৰি দি সহায় কৰিবলগীয়া হৈছিল।

এছিষ্টেণ্ট ইন্সপেক্টৰ হৈ থকা কালত এদিন এটা মজাৰ ঘটনা ঘটিছিল। মৌলবী আব্দুৰ ৰহমান তেতিয়া আছিল যোৰহাটৰ ডেপুটী ইন্সপেক্টৰ। আগজাননী দি মাজুলীলৈ দুয়ো স্কুল পৰিদৰ্শন কৰিবলৈ যাবলৈ ওলাল। গোঁসাই তেতিয়া যোৰহাটত নতুন মানুহ। তেওঁৰ নাম মাজুলীৰ গোঁসাই ভকত সকলোৰে মাজত ৰাষ্ট্ৰ হৈ পৰিছিল। গতিকে গোসাঁই যাব বুলি শুনি তেওঁলোকে তাত আদৰিবৰ কাৰণে ধূপ-ধূনা জ্বলাই, ফলপুলি পুতি আগ্ৰহেৰে বাট চাই আছিল। যথাসময়ত দুয়ো গৈ ওলাল। তেতিয়া গোসাঁইৰ মুখ-মণ্ডলত সুন্দৰ ডাটি-গোফ আছিল। ৰহমান আছিল নিমজকৈ খুৰোৱা মুখৰ সুন্দৰ দৰ্শন যুৱক। মাজুলীৰ শুদ্ধ-সাত্ত্বিক ভকত-গোঁসাইসকলে জানকেই জকাই বুলি তামোল-পাণ আৰু গামোচাৰ শৰাইৰে ৰহমানকে আদৰিলে। পাছতহে কথাটো কাজিল হোৱাত সকলোৱে ইহ্-ইহ্, আহ্-আহ কৰিলে। ফলত গোঁসানীৰ বকনি সহিব নোৱাৰি গোঁসায়েও চিকুনকৈ ডাটি গোঁফ খুৰাই তুৰন্তে ডাটি-গোঁফ বৰ্জিত চকল ডেকাটোৰ দৰে হৈ দেখুৱাবলৈ বাধ্য হৈছিল।

১৯২৮ চনত গোস্বামী ডাঙৰীয়া অসম উপত্যকাৰ স্কুল ইন্সপেক্টৰ নিযুক্ত হয়। বস্তুতঃ ইন্সপেক্টৰ গোস্বামী বুলিয়ে তেওঁ ঘাইকৈ জনাজাত। গোসাঁইৰ বদ্ধমূল ধাৰণা আছিল যে অসমৰ আশে-পাশে থকা দাঁতিকাষৰীয়া জনজাতিসমূহক বাদ দি অসমীয়া জাতি তিষ্ঠিব নোৱাৰে আৰু অসমীয়া মানুহৰ লগত সম্বন্ধ বিচ্ছিন্ন কৰি এই জাতিবোৰেও শিক্ষা, সভ্যতা আদিৰ পোহৰ পাব নোৱাৰে। সেইবাবে তেওঁ চৰকাৰৰ ওচৰত শিক্ষাৰ মাধ্যম সম্পৰ্কে নতুন আঁচনি দাঙি ধৰিছিল। তেওঁৰ স্পষ্ট মত আছিল—পাহাৰৰ ওপৰত থকা মিকিৰ (কাৰ্বি) ছাত্ৰবোৰক প্ৰথমতে দুবছৰলৈ মিকিৰ (কাৰ্বি) ভাষা শিকাব লাগে আৰু পঞ্চম মান শ্ৰেণীৰপৰা অসমীয়াত শিকাব লাগে। তাৰ পাছত কেৱল অসমীয়া আৰু ইংৰাজী শিকাব লাগে। প্ৰাইমাৰী স্কুলৰ তলৰ শ্ৰেণীত দুবছৰলৈ মিকিৰ (কাৰ্বি) ভাষাত শিক্ষা দিয়াৰ উদ্দেশ্য— ছাত্ৰবোৰৰ মনত স্কুলৰ প্ৰতি ধাউতি জগোৱা, অৰ্থাৎ সিহঁতক School-minded কৰা। তেতিয়াৰ কথা পাহাৰৰ শিক্ষাৰ মাধ্যম সম্পৰ্কে তেওঁ সুকীয়া

মত দাঙি ধৰিছিল আৰু সেই মত গৃহীত হৈছিল। ১৯৪৩ চনত তেওঁ ইন্সপেক্টৰ পদৰ পৰা অৱসৰ লয়।

বিশ্ববিদ্যালয় স্থাপন গোস্বামীৰ জীৱনৰ শেষ উদ্যম আছিল। ই তেওঁৰ জীৱনৰ এটা বহুদিনীয়া সপোন আছিল। চাকৰিৰপৰা ৰেহাই পাই তেওঁ পোনতে 'জয়ন্তী, কাকতত গুৱাহাটী বিশ্ববিদ্যালয় শিতানত গোটাচেৰেক প্ৰবন্ধ লেখিছিল। অসম বিশ্ববিদ্যালয় সম্পৰ্কে তেওঁৰ নিজা মত আছিল এই যে অসম বিশ্ববিদ্যালয় অসমৰ কাৰণেই হব লাগিব। সেই বুলি কলি-কতা বিশ্ববিদ্যালয়ৰ লগত সম্বন্ধ বিচ্ছেদ কৰা তেওঁৰ লক্ষ্য নাছিল। তেওঁৰ মতে এখন আনখনৰ পৰিপূৰক হিচাপে থাকিব; বিজ্ঞান বিষয়ত গৱেষণা কলিকতা বিশ্ববিদ্যালয়ত সুন্দৰভাৱে হৈছে আৰু তাতেই থাকক। অসমত ভাষা-বিজ্ঞান, ঐতিহাসিক অনুসন্ধান, উদ্ভিদ বিদ্যা আদি চৰ্চ্চাৰ সুন্দৰ সুবিধা আছে। গতিকে অসম বিশ্ববিদ্যালয়ত সেইবোৰ গৱেষণা চলিব। অসম বিশ্ববিদ্যালয়ত অসমীয়া জাতিৰ কৃষ্টি, সভ্যতা, ভাষা আদিৰ বৈশিষ্ট্য ৰক্ষা কৰি সেইবোৰৰ সম্যক উন্নতিৰ কাৰণে যত্ন কৰা হব। সেইবাবেই এই বিশ্ববিদ্যালয়ৰ নামেই হব—গুৱাহাটী বিশ্ববিদ্যালয়। নহলে, অসম বিশ্ববি-বিদ্যালয় নাম হলে, শ্ৰীহট্টয়ো শ্ৰীহট্টৰ ভাষা, কৃষ্টি আদি চৰ্চ্চাৰ কাৰণে টনা-আঁজোৰা কৰিব পাৰে, এয়ে আছিল তেওঁৰ ভয়। ১৯৪৪ চনৰ ২৯ ডিচেম্বৰত গুৱাহাটীত যি 'ইউনিভাৰ্চিটি কন্‌ভেন্‌চন' বহিছিল তাৰ আহ্বায়ক-সচিব আছিল গোস্বামী ডাঙৰীয়া। বিধিৰ-বিধানত তেওঁ কিন্তু সেই নিজে-খন্দা পুখুৰীৰ পানী খাবলৈ নাপালে। কন্‌ভেন্‌চনত যোগদান দিবলৈ বাচি নাথা-কিল। তেওঁৰ আদ্য-শ্ৰাদ্ধৰ দিন পৰিছিল সেই ঐতিহাসিক কন্‌ভেন্‌চনৰ নিৰ্দ্ধাৰিত দিনৰ দিনা। তাৰ কেইদিনমান আগতে অসম চৰকাৰৰ দ্বাৰা নিৰ্ব্বাচিত আৰু নিযুক্ত হৈ তেওঁ উদয়পুৰ ঐতিহাসিক সম্মিলনত যোগদান দিবলৈ গৈছিল আৰু সস্ত্ৰীক তীৰ্থ কৰি উভতি আহি দিল্লী নগৰীত জিৰণি লৈছিল। তাতে ১৯ ডিচেম্বৰ তাৰিখে তেওঁ অকস্মাৎ সন্ন্যাস ৰোগত আক্ৰান্ত হয় আৰু সেই দিনাই ইহধাম ত্যাগ কৰে।

অসম সাহিত্য সভা গোসাঁইৰ প্ৰাণৰ পুতলি, পূজাৰ বিগ্ৰহ স্বৰূপ আছিল। অসমীয়া ভাষা সাহিত্যৰ এটা বিশেষ সঙ্কটপূৰ্ণ সময়ত অসম সাহিত্য সভাৰ জন্ম। এসময়ত (১৯০৭-৮ চনত যাইকৈ উজনি-নামনিৰ ভাষা লৈ 'বাহী'

আৰু 'আসাম বান্ধৱ'ৰ আৰু প্ৰায় সমসাময়িকভাৱেই নানা বিষয়ে 'বাঁহী' আৰু 'উষা' আলোচনীৰ মাজত তৰ্কযুদ্ধৰ যি বিৰোধ আৰু বিতণ্ডা আৰম্ভ হৈছিল, তাৰ স্মৰণেও আজি পাঠকৰ মনত সন্ত্ৰাস, সঙ্কোচ আৰু লজ্জাবোধৰ সৃষ্টি কৰিব খোজে। সেইবোৰৰ নগ্ন বীভৎসতা কিছু শাম কটাত শান্তি, সাম্য আৰু মিলনৰ অগ্ৰদূত হিচাপেই অসম সাহিত্য সভাৰ জন্ম বুলিব পাৰি। তেনে এখন সভাৰ প্ৰয়োজন তেতিয়া অসমৰ চাৰিওপিনে সকলোৱে সমভাৱে অনুভৱ কৰিছিল, কিন্তু টিলিঙা আঁৰে কোনে, সেয়ে আছিল প্ৰশ্ন। গুৱাহাটীত অধ্যাপক (পাছত ড°) সূৰ্য্যকুমাৰ ভূঞা, কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা, গোৰীকান্ত তালুকদাৰ, অম্বিকাগিৰী ৰায়চৌধুৰী আদি লোকসকলে, যোৰহাটত বুলধৰ চলিহা, দেৱেন্দ্ৰনাথ বেজবৰুৱা, চন্দ্ৰধৰ বৰুৱা, শৰৎ চন্দ্ৰ গোস্বামী, দুৰ্গেশ্বৰ শৰ্মা আদিসকলে আৰু তেনেকৈ ডিব্ৰুগড়, তেজপুৰ, নগাওঁ, মঙ্গলদৈ, বৰপেটা আদিতো দুই এজন লোকে অন্তৰত যুগপৎ সেই একে কথাকে ভাবিছিল। আনকি পণ্ডিত অধ্যাপক পদ্মনাথ বিদ্যাবিনোদৰ দৰে জ্ঞানী লোকেও সদৌ অসম সাহিত্য সভা এখন গঢ়ি তোলাৰ আৱশ্যকতা মৰ্মে মৰ্মে অনুভৱ কৰি ছিল আৰু তাৰ বাবে যত্ন নকৰাকৈও থকা নাছিল। সত্যনাথ বৰাৰ দৰে শান্তিপ্ৰিয় লোকে কিন্তু তেনে প্ৰস্তাৱৰ কথা শুনিলে জানোচা হিতে বিপৰীত হয় বুলি শঙ্কা কৰি তাৰ বিৰোধিতা কৰি তাক সাময়িকভাৱে গাপ দি ৰাখিবলৈ যত্নৰ ত্ৰুটী নকৰাকৈছিল। পিছে ঈশ্বৰৰ ইচ্ছাত সি নোহোৱাকৈ নাথাকিল আৰু শুভ দিন-বাৰ, শুভক্ষণ লৈয়ে বুৰঞ্জীবিখ্যাত শিৱসাগৰত সি জন্ম লাভ কৰিলে। শৰৎ চন্দ্ৰ গোস্বামী জন্ম-ক্ষণৰ পৰাই তাৰ লগত সংশ্লিষ্ট আছিল। অসম সাহিত্য সভাৰ জন্ম কাহিনীৰ লগত যোৰহাট সাহিত্য সভাৰ উৎপত্তিৰ কথাও সাঙোৰ খাই আছে, আৰু গোস্বামী আছিল তাৰো অন্যতম উদ্যোক্তা। গোস্বামীদেৱে নিজ হাতে লেখি থৈ যোৱা 'সাহিত্য সভাৰ কথা' পুস্তিকা 'অসম সাহিত্য সভা পত্ৰিকা'ৰ ১৮৭৪ শকৰ ২য়-৩য় সংখ্যাত প্ৰকাশ হৈছিল। তাৰ সকলো কথা সকলোৱে কাৰণে সমানে তৃপ্তিকৰ আদৰণীয় নহব পাৰে; তথাপি তাত যে প্ৰয়াত সাহিত্যপ্ৰাণ মহান ব্যক্তি এগৰাকীৰ সাহিত্য সভাৰ প্ৰতি থকা শ্ৰদ্ধা, আনুগত্য আৰু ঐকান্তিকতা স্পষ্টভাৱে ব্যক্ত হৈছে, সেইটো অনস্বীকাৰ্য্য। সেই পুস্তিকাত যোৰহাট সাহিত্য সভা, অসম সাহিত্য সভা,

চন্দ্ৰকান্ত সন্দিকৈ হল, চন্দ্ৰকান্ত অভিধান ৰচনা, শ্ৰীশ্ৰীনৰদেৱ ট্ৰাষ্ট ফাণ্ড প্ৰমুখ্যে সাহিত্য সভাৰ তিনিটা বিখ্যাত ট্ৰাষ্টফাণ্ড আদিৰ জন্ম কথা সুন্দৰকৈ বৰ্ণোৱা আছে। সাহিত্য সভাৰ আদি যুগৰ ই এটা বিতোপন বৰ্ণনা-চিত্ৰ।

শৰৎ চন্দ্ৰ গোস্বামী হাড়ে-হিমেজুৱে প্ৰত্নতাত্ত্বিক আছিল। তেওঁৰ মতে অসম সাহিত্য সভা, কামৰূপ অনুসন্ধান সমিতি আৰু সংস্কৃত সঞ্জীৱনী সভা— এই তিনিওটা অনুষ্ঠান মূলতঃ প্ৰত্নতত্ত্বৰ অনুষ্ঠান। অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ সংৰক্ষণ আৰু সংবৰ্দ্ধন আটাইৰে মূল উদ্দেশ্য। সেয়েহে এই তিনি-ওটা অনুষ্ঠানত গোস্বামী ওতপ্ৰোতভাৱে জড়িত আছিল।

শৰৎ চন্দ্ৰ গোস্বামী অসমীয়া চুটি গল্প সাহিত্যৰো পটি-কটীয়াসকলৰ অন্যতম। উচ্চ ইংৰাজী স্কুলত পঢ়া কালত তেওঁৰ ঘাই বন্ধুসকলৰ ভিত-ৰত আছিল কালীৰাম বৰ্মন, পীতাম্বৰ চক্ৰবৰ্তী, বিষ্ণুৰাম মেধি, গৌৰীকান্ত তালুকদাৰ আদিসকল। তেওঁলোকৰ সাপ্তাহিক সাহিত্যালোচনী 'সুনীতি সঞ্চাৰিণী' সভাত বাহিৰৰপৰা বিহগী কবি ৰঘুনাথ চৌধাৰীয়েও যোগদান কৰিছিল বুলি আগতে উল্লেখ কৰা হৈছে। গোস্বামীদেৱে লেখি এৰা বিৱ-ৰণীৰপৰা বুজা যায় যে তেওঁৰ 'কচুপাত' শিতানৰ অপ্ৰকাশিত লেখাটোৱেই আছিল চুটি গল্প ৰচনাৰ প্ৰথম প্ৰয়াস। কলিকতাত বি-এ পঢ়া সময়ত এ-এছ-এল. ক্লাবৰ দ্বাৰা ঘোষিত সদৌ অসম গল্প আৰু কবিতাৰ প্ৰতি-যোগিতাত গোসাঁয়ে আগৰ বিধত আৰু কবিবৰ চৌধাৰীদেৱে পিছৰ বিধত প্ৰথম পুৰস্কাৰ লাভ কৰিছিল। বিহগী কবিৰ মুখে শুনিছিলোঁ—গোসাঁইৰ খেচ-খেচনিতহে তেওঁ হেনো সেই প্ৰতিযোগিতাত যোগদান কৰিছিল।

গোস্বামীদেৱৰ প্ৰকাশিত চুটি গল্পৰ কিতাপ লেখত তিনিখন : 'গল্পাঞ্জলি', 'ময়না' আৰু 'বাজিকৰ'। 'ময়না' আৰু 'বাজিকৰ' দুয়োখনৰে নাম তেওঁ—ন কইনাক মাতৃত্ব লভাৰ পাছত প্ৰথম সন্তানটোৰ নামেৰে অমুকা বা অমু-কীৰ মাক বুলি মতাৰ দৰে—প্ৰথম গল্পটোৰ নামেৰে ৰাখিছিল। অন্যান্য অনেক লেখকৰ দৰে তেওঁৰো এই গল্পবোৰৰ এটা ডাঙৰ অংশই আলোচনীৰ পাতত প্ৰথমে পোহৰ দেখিছিল। তাৰ পাছত তেওঁ সেইবোৰ গোটাই লৈ তাৰ লগত দুই-চাৰিটা নতুনকৈ লেখি যোগ দি কিতাপ আকাৰত প্ৰকাশ কৰিছিল। গল্পবোৰৰ গাঁথনি আৰু বৰ্ণনাৰপৰা অনুমান হয় এইবোৰৰ বেছি-ভাগেই বাস্তৱগন্ধী বা বাস্তৱ ঘটনাৰ ওপৰত প্ৰতিষ্ঠিত। গোস্বামীয়ে গল্প

কৰ জানে। তেওঁৰ বৰ্ণনা আকৰ্ষণীয় আৰু মোহনীয়। মনস্তাত্ত্বিক বিশ্লেষণো দুই এটা গল্পত বাৰুকৈয়ে আছে। তেনেবোৰ সাহিত্যিক সমল নিহিত থকা বাবেই গল্পবোৰ পাঠকৰ হৃদয়গ্ৰাহী হৈছে।

গভীৰ আৰু জটিল তত্ত্বোৰ বুজাবলৈ হলে গল্প এটা অনুপম মাধ্যম। তাহানিৰ উপনিষদৰ যুগতো গল্পৰ সহায়ত ডাঙৰ ডাঙৰ তত্ত্বকথা ব্যাখ্যা কৰা হৈছিল। তেতিয়াৰ দিনত মানুহৰ জীৱন আজিৰ মানুহৰ জীৱনৰ দৰে জটিল আৰু সমস্যাবহুল নাছিল। সেইবাবে গল্পৰ বিষয় বস্তুবোৰো বৈচিত্ৰ্যবৰ্জিত আৰু পোনপটীয়া আছিল। গোস্বামীৰ গল্পত কিন্তু এই দুয়ো প্ৰকাৰৰ ব্যক্তি আৰু সমাজ চিত্ৰৰ আভাস পোৱা যায়। তেওঁৰ 'সামান্য প্ৰাণী' গল্পত হৰিণ-হৰিণীৰ কথোপকথন, 'অন্তৰৰ আৱৰণ'ত হৰ-পাৰ্ব্বতীৰ কথোপকথন, 'মানুহৰ সৃষ্টি'ত ব্ৰহ্মা-বিষ্ণু আদিৰ কথা-বাৰ্তা আদিয়ে গল্পবোৰক পুৰণি সাধুকথাৰ শাৰীলৈ টানিব খোজে। এইবোৰতো কিন্তু বৰ্ণনা-চাতুৰ্য্যৰ সহায়ত তেওঁ যেন পুৰণি সাধুকথা আৰু নতুন চুটি গল্পৰ মাজত সখি বান্ধি দি মিত্ৰতা স্থাপন কৰিব খোজে।

সাহিত্য চৰ্চাৰ কাম হাতত লৈ গোস্বামীদেৱে অন্তৰত মৰ্মে মৰ্মে উপলব্ধ কৰিছিল যে কণ কণ শিশু শিক্ষাৰ্থী আৰু পঢ়াশলীয়া কিশোৰ-কিশোৰী-সকলৰ মনৰ উপযোগী কৰি সাহিত্য ৰচনা কৰা অসমীয়া সাহিত্যত নিতান্ত প্ৰয়োজনীয় হৈ পৰিছে। তেওঁ সেই উদ্দেশ্যে নিজে তেনে ৰচনা হাতত লৈছিল আনকো তেনে ৰচনাত প্ৰবৃত্ত হবলৈ উদগনি দিছিল। আগতে কৈ অহা হৈছে যে গোস্বামী এজন ব্যক্তিয়ে নাছিল, তেওঁ আছিল এটা জীৱন্ত অনুষ্ঠান। যি অনুষ্ঠান যেনে তাৰ সম্পৰ্কত অহা লোকসকলো তেনে ভাবাপন্ন হয়। ধৰ্মানুষ্ঠানৰ লোক সাধাৰণতে ধৰ্মনিষ্ঠ হয়; কৰ্মময় জীৱন যাপন কৰা কৰ্মী-সন্থাৰ সংসৰ্গত আহিলে মানুহ সোৱোপা হৈ বহি থাকিব নোৱাৰে, কৰ্মী হয়। শিশু-সাহিত্যিক গোস্বামীৰ লগত পৰি অন্তৰত শিশু-সাহিত্যৰ বাপ থকাসকলে শিশু-সাহিত্যৰ ৰচনাত লাগি যাবলৈ বাধ্য হৈছিল। তেনে এজন সাহিত্যিক আছিল মহাদেব শৰ্মা। শৰ্মা ডাঙৰীয়াই সেই কথা মুক্তকণ্ঠে স্বীকাৰ কৰিছে। 'সাবিত্ৰী' নামৰ শিশু সাহিত্যখন তেওঁ গোসাঁইদেউৰ নামত উছৰ্গা কৰি কৈছে যে গোসাঁইদেৱেই তেওঁক শিশু-সাহিত্য ৰচনা কৰিবলৈ পোনতে উদগাইছিল। 'তাৰে ফলস্বৰূপে পুস্তক-

খনি কৃতজ্ঞতাৰে তেখেতৰ নামত উৎসৰ্গ কৰা হ'ল। 'অতুল কথামালা'— শিশু-সাহিত্যৰ অমূল্য সম্পদ আৰু এইশ্ৰেণী পুথিপ্ৰণয়ন আৰু প্ৰকাশনৰ পৰিকল্পনা তেওঁৰে চিন্তাশীল মনৰ উদ্ভাৱনা।

শৰৎচন্দ্ৰ গোস্বামীদেৱে নাটক আৰু উপন্যাসতো হাত নিদিয়াকৈ থকা নাছিল। অমিত্ৰাক্ষৰ চন্দত লেখা 'পৰীক্ষা' নাটকত তেওঁ মহাভাৰতৰ উৰ্বশী-অৰ্জুনৰ কাহিনীটোকে নাটকীয় ৰূপ দিছে। তাত চৰিত্ৰৰ অঙ্কন আৰু অমিত্ৰ ছন্দ উৎকৃষ্ট হৈ উঠা নাই; সম্ভৱ নাট্যকাৰে তাত পোনতে নিজৰ কেঁচা হাতৰ খজুৱতি মাৰিবলৈ আৰু অন্তৰৰ নাট্য-প্ৰতিভা পৰীক্ষা কৰি চাবলৈহে এই নাটক ৰচনা কৰিছিল।

গোস্বামীৰ দ্বিতীয় নাটক 'বুদ্ধদেৱ' গৌতম বুদ্ধৰ সন্যাস গ্ৰহণৰ কাহিনী লৈ ৰচিত হৈছে। গৌতম বুদ্ধৰ পত্নী যশোধৰাৰ প্ৰতি তেওঁৰ অন্তৰঙ্গ বন্ধু দেৱদত্ত তলে তলে আসক্ত আছিল। সেই কথা তেওঁ বিয়াৰ দিনা আশীৰ্বাদ প্ৰাৰ্থী হৈ প্ৰিয়বন্ধু দেৱদত্তৰ ওচৰলৈ যোৱাতহে জানিব পাৰিছিল। সিদ্ধাৰ্থৰ চৰিত্ৰৰ উদাৰতা, যশোধৰাৰ মনৰ দৃঢ়তা আৰু দেৱদত্তৰ বন্ধুত্ব নাটকত স্পষ্ট হোৱাত নাটকখন আকৰ্ষণীয় হৈছে। ১।৭।১৬ তাৰিখে যোৰহাটত এই নাট মঞ্চস্থ হৈছিল আৰু গ্ৰন্থকাৰ গোস্বামীয়েও ভৰদ্বাজ আৰু ছন্দকৰ ভাও লৈছিল।

'পানিপথ' গোস্বামীদেৱৰ একমাত্ৰ উপন্যাস। ইয়াক তেওঁ এফ. এ. পৰীক্ষা দি উঠি বহি থকা সময়ত সোতৰ বছৰ বয়সতে ৰচনা কৰিছিল; 'পানিপথ' কিন্তু ঐতিহাসিক উপন্যাস নহয়। তেওঁ নিজেই কৈছে 'এই আখ্যানটি এটা প্ৰসিদ্ধ ঐতিহাসিক ঘটনা অৱলম্বন কৰি লেখা হৈছে যদিও, ইয়াত কোনোৱে যেন ইতিহাস নিবিচাৰে। ইয়াত বৰ্ণোৱা দৃশ্যও অসমৰহে, দিল্লী বা ৰাজপুতনাৰ নহয়।' 'পাণিপথ' উপন্যাসত প্ৰধান ভূমিকা লৈছে ফিৰোজাই, আৰু ফিৰোজাৰ চৰিত্ৰই উপন্যাসখনৰ শ্ৰেষ্ঠ আকৰ্ষণ বুলিব পাৰি।

উপন্যাসখনত কেইবা ঠাইতো ঘটনা মিলাবলৈ অনৈসৰ্গিক আকস্মিকতাৰ আশ্ৰয় লোৱা হৈছে। সেই কাৰণেই উপন্যাসখনক ৰোমাঞ্চগন্ধী উপন্যাস বোলা যায়। 'ফাঁচী কাঠত উঠি পাছ মুহূৰ্ততে মৃত্যু হয়, এনে সময়ত হ'ৰপৰা এপাট কাঁড় আহি ফাঁচী দিওতাজনৰ মৃত্যু হৈ বধ্যজনৰ লোকাৰণ্য মানুহৰ মাজেদিও পলায়ন'—কম ৰোমাঞ্চকৰ ঘটনা নহয়।

মীদেৰে পাঠ্য পুথি ৰচনাতো মন দিছিল আৰু শিক্ষকসকলক তেনে ৰচনাত প্ৰবৃত্ত হবলৈ উদ্‌গাইছিল। এই বিষয়ে এজন বন্ধুৰে তেওঁক এদিন কৈছিল যে পাঠ্য পুথি ৰচনা নকৰি সাহিত্য ৰচনাত মন দিয়া হলে তেওঁ বেছি নাম কৰিব পাৰিলেহেঁতেন। উত্তৰত গোসাঁয়ে কৈছিল— 'উপযুক্ত পাঠ্য পুথিৰ অভাৱত আমাৰ স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে আৰু শিক্ষকসকলেও কি দুৰ্ভোগ ভুগিব লাগে, তাক বাহিৰৰ লোকে কি বুজিব? আনৰ কাৰণে সি যেন বন্ধ্যাৰ প্ৰসৱবেদনা।' —কথাষাৰ মন কৰিবলগীয়া। শিক্ষক আছিল বাবে পদ্মনাথ গোহাঞিবৰুৱাদেৰেও প্ৰয়োজনৰ তাড়না উপলব্ধি কৰি পাঠ্য পুথি ৰচনাৰ গুৰু দায়িত্ব নিজে হাতত লবলৈ বাধ্য হৈছিল।

গোস্বামী ডাঙৰীয়াৰ ভাষা সম্পৰ্কে দুই-এটা কথা কোৱাৰ প্ৰয়োজন আছে। তেওঁৰ ছাত্ৰাৱস্থাৰ ৰচনাৰ ভাষা আৰু সাহিত্য ক্ষেত্ৰত প্ৰতিষ্ঠা লা কৰাৰ পাছৰ লেখাৰ ভাষা একে নহয়। তেওঁৰ 'পানিপথ'ৰ ভাষা 'সাহিত্য সভাৰ ইতিবৃত্ত'ৰ ভাষাৰ সৈতে একে ধৰণৰ নহয়। পাছৰ লেখা-বোৰত নামনি অসমত ব্যৱহাৰ কৰা শব্দ, খণ্ডবাক্য, জতুৱা ঠাঁচ, আদিৰ প্ৰাচুৰ্য্য দেখা যায়। তেখেতে স্পষ্টকৈয়ে কৈছিল—'ভাষাৰ বিশেষত্ব নিৰ্ভৰ কৰে ব্যাকৰণত, শব্দত নহয়।' অসমীয়া ভাষাৰ প্ৰকাশ-সমৃদ্ধিৰ কাৰণে আন ভাষাৰ শব্দ গ্ৰহণত তেখেত সদায় উদাৰপন্থী আছিল। আন এঠাইত তেওঁ তেওঁৰ ব্যক্তিগত অভিমত এইদৰে প্ৰকাশ কৰি গৈছে— 'অকল উজনিৰ শব্দকেইটা লৈয়ে অসমীয়া ভাষা হব নোৱাৰে। আগতেও তেনে নাছিল। প্ৰকৃত অসমীয়া ভাষা—উজনি নামনি সকলো ঠাইৰ অস-মীয়া ভাষাৰ মাত-কথা গ্ৰহণ কৰি, সুঠাম, সুবৃহৎ ভাষা এটা হৈ উঠিব লাগিব। পুৰণি অসমীয়া পুথিবোৰত ইয়াৰ অপৰ্য্যাপ্ত উদাহৰণ পোৱা যায়। যি দুজনা ধৰ্মগুৰুৰ ৰচিত ধৰ্মপুথিৰ ওপৰত ভিত্তি কৰি অসমীয়া ভাষা আৰু সাহিত্যৰ মন্দিৰ গঢ়ি উঠিল আৰু ইয়াৰ দিনে বাহিৰৰ ধুমুহা-বজ্ৰপাতক কেৰেপ নকৰি নিৰুপদ্ৰৱীয়া হৈ তিষ্ঠিব পাৰিলে, সেই পুণ্যশ্লোক শঙ্কৰ-মাধৱৰ ৰচিত পুথিবোৰতো নামনি অসমৰ শব্দহে বেছি পৰিমাণে পোৱা যায়।' সেই বাবেই তেওঁ অসমীয়া ভাষাৰ এখন সুবৃহৎ অভিধান নতুনকৈ লিখিবলৈ পৰিকল্পনা হাতত লৈছিল; সি পিছে কাৰ্য্যত পৰিণত হবলৈ নাপালে।

বৰ্ণবিন্যাস আৰু বানান সম্বন্ধেও শৰৎ চন্দ্ৰ গোস্বামীদেৱৰ স্বকীয় যুক্তি-পূৰ্ণ মত আছিল। তেওঁৰ মতে--"উচ্চাৰণ অনুসৰি বৰ্ণবিন্যাস হব লাগে। সম্প্ৰতি আমেৰিকাতো তেনে মতকে অৱলম্বন কৰি ইংৰাজী বানানবোৰৰ-পৰা অনাৱশ্যকীয় বহুত আখৰ বাদ দিয়া হৈছে। কিন্তু আমাৰ দুৰ্ভাগ্যৰ কথা যে পুৰণি অসমীয়া ভাষাত বৰ্ণবিন্যাসৰ এই উৎকৃষ্ট নিয়ম থকাতো তাক আওহেলা কৰি আৰু নতুন বঙলা ভাষাৰ বৰ্ণবিন্যাস অনুসৰণ কৰি আমি বৰ্তমান অসমীয়া ভাষাৰ বৰ্ণবিন্যাস ইমান টান কৰি তুলিছোঁ। আচলতে অন্ধ অনুকৰণ সদায় অপকাৰী'। তেখেতৰ মতে—'এঘাৰটা স্বৰ আৰু ছবিছটা ব্যঞ্জন বৰ্ণ হলে উচ্চাৰণ অনুযায়ী আমাৰ বৰ্ণবিন্যাস কৰিব পাৰি।' সেই কথা তেওঁ 'চেতনা'ত বহলাই আলচ কৰিছিল। স্বীকাৰ কৰিব লাগিব যে গোসাঁইৰ যুক্তি আজিকালি লাহে লাহে কিছুমান ক্ষেত্ৰত গৃহীত হব ধৰিছে; যেনে পৰ্ব্বত, ডাঙৰ, মইনা আদি শব্দ আজিকালি পৰ্বত, ডাঙৰ, ময়না লেখা হয়।

ব্যাকৰণ সম্পৰ্কে তেওঁ কালিৰাম মেধি ডাঙৰীয়াৰ লগত একমত। তেওঁ কৈছে—'হেমচন্দ্ৰ বৰুৱাৰ ব্যাকৰণেও অযথাৰূপে ইংৰাজী ব্যাকৰণ অনুকৰণ কৰিছে। বাকীবোৰ ব্যাকৰণ সংস্কৃত ব্যাকৰণৰ অসম্পূৰ্ণ বা অকামিলা সংস্কৰণ মাত্ৰ। সেইদেখি নিভাজকৈ লেখা অসমীয়া ভাষাৰ ব্যাকৰণ এখন অতি আৱশ্যক। কিন্তু এইটো আমি মনত ৰাখিব লাগিব যে ভাষা আগ, ব্যাকৰণ পাছ আৰু সকলো জীৱন্ত ভাষাতেই যিদৰে ব্যাকৰণক অনুকৰণ কৰি ভাষা লেখা যায়, সেইদৰে ব্যাকৰণেও আকৌ প্ৰতিভাশালী লেখকক অনুসৰণ কৰি নিজৰ সূত্ৰ আদি প্ৰৱৰ্তন কৰিবলগীয়াত পৰে। আমি এই কথা পাহৰিছোঁ দেখিয়েই ভাষা আৰু বানান, বাক্য-গঠন আৰু শব্দ-গঠন বিষয়ত আমাৰ মাজত ইমান বেমেজালি।' —এই যুক্তিবোৰ প্ৰণিধানযোগ্য।

অসমীয়া ভাষা, সাহিত্য আৰু শিক্ষা-বিস্তাৰৰ ক্ষেত্ৰত শৰৎ চন্দ্ৰ গোস্বামী ডাঙৰীয়াৰ দান অবিস্মৰণীয়। অসম সাহিত্য সভাৰ প্ৰতিষ্ঠা আৰু উন্নয়নৰ কাৰণে তেওঁ কৰা কাম অনন্যসাধাৰণ আৰু অপ্ৰমেয়।

সঙ্গীতাচাৰ্য কীৰ্তিনাথ শৰ্মা বৰদলৈ

মঙ্গলদৈ মহকুমাৰ ছিপাঝাৰ মৌজাৰ কুকৰা এখন সৰু গাওঁ। আয়তনত বহল যদিও ঘন বসতিপূৰ্ণ নহয় বাবে সৰু। ব্ৰহ্মপুত্ৰৰ গাতে লাগি থকা উত্তৰ পাৰৰ এই গাওঁখনিৰ জলবায়ু উৎকৃষ্ট। ইয়াতেই ১৮০৮ চনৰ সাত নৱেম্বৰত কীৰ্তিনাথ শৰ্মা বৰদলৈৰ জন্ম হয়। তেওঁৰ দেউতাকৰ নাম দেহীৰাম বৰদলৈ পাটগিৰি। আগৰ দিনত মৌজাদাৰক নামনি অসম আৰু দৰঙত পাটগিৰি বোলা হৈছিল। সৰু কালতে পিতৃহীন হৈ কীৰ্তিনাথ বাইদেৱেক সোমেশ্বৰী দেৱীৰ আশ্ৰয়ত ডাঙৰ দীঘল হয়। সোমেশ্বৰী দেৱী উত্তৰ গুৱাহাটীৰ বিখ্যাত হাকিম মাধৱ চন্দ্ৰ বৰদলৈ দেৱৰ পত্নী আছিল। উল্লেখযোগ্য এই যে ১৮৯১ চনত এইজনা হাকিমেই বৰপেটাত মহকুমাধিপতি হৈ থকা কালত সুন্দৰীদিয়া সত্ৰৰপৰা সংগ্ৰহ কৰি নি মহাকবি মাধৱ কন্দলীৰ অসমীয়া ৰামায়ণ পোন প্ৰথমে ছপা কৰি উলিয়ায়। মাধৱ চন্দ্ৰ বৰদলৈ কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ পিতৃ দেৱতা আৰু কৰ্মবীৰৰ স্বনামধন্যা জীয়াৰী নলিনীবালা দেৱীৰ ককাক। সেই সূত্ৰেদি কীৰ্তিনাথ বৰদলৈও নলিনীবালা দেৱীৰ মাতৃ-পক্ষীয় ককাক। সেয়েহে নলিনীবালা দেৱীয়ে এখন চিঠিত কীৰ্তিনাথৰ বৰজীয়েক মাকনলৈ ২৫/৬/৫২ তাৰিখে লিখিছিল + + + দেউতাৰাৰ জীৱনী লিখিবলৈ হাতত লোৱা বুলি শুনি নথৈ বং পাইছো। আমাৰ প্ৰতিভাশালী লোকসকলৰ জীৱন-কাহিনী আমি নিজে নিলিখিলে আনে নিলিখে, কিন্তু আমি লিখি থৈ যাব পাৰিলে এদিন সেই বস্তুৰ আদৰ নিশ্চয় হ'ব। স্বৰ্গীয় ককাৰ প্ৰতিভাময় জীৱনৰ কথা মনত পৰিলে সচাঁকৈয়ে আত্ম-গৰিমাত উৎফুল্ল নহৈ নোৱাৰো। যুগৰ বিশাল বুকুত একো একোটা বিখ্যাত পৰিয়ালৰ মাজত পৰিমাৰ্জিত সংস্কৃতিয়ে কেনেকৈ বিকাশ লাভ কৰিছে, সেইটো পৰিস্ফুট কৰিব পাৰিলেই জীৱনী লিখাৰ উদ্দেশ্য সিদ্ধি হ'ব যেন লাগে। গৌৰৱশিত সেইটোকে লক্ষ্য ৰাখিবা। মোৰ জীৱনৰ সোণাময় শৈশৱ কালত তেখেতক বিৰধে পাইছিলোঁ তাৰেই স্মৃতিলেখা তলত কিঞ্চিৎ দি পঠিয়ালোঁ।

"স্বৰ্গীয় কীৰ্তিনাথ বৰদলৈ ককা মোৰ বুঢ়ী আই সোমেশ্বৰী দেৱীৰ বৈমাত্ৰেয় আপোন ভায়েক। তেখেতৰ দেউতাক দেহীৰাম বৰদলৈ পাটগিৰি যেতিয়া ঢুকায়, তেতিয়া তেওঁৰ একেটি ল'ৰা কীৰ্তিনাথ ককা নিচেই সৰু। গতিকে তেখেতে কম বয়সীয়া মাহীমাক আৰু ভায়েক কীৰ্তিনাথ ককাক আনি লগতে ৰাখি ডাঙৰ দীঘল কৰে। মোৰ ককাদেউতা মাধৱ চন্দ্ৰ বৰদলৈৰ তত্ত্বাৱধানতে কীৰ্তিনাথ ককাই এণ্ট্ৰেন্স পাছ কৰি গুৱাহাটীৰ কটন কলেজত দ্বিতীয় বাৰ্ষিকলৈ পঢ়িছিল। পিছে, সেই সময়ত তেখেতৰ এটি শক্ত নৰিয়া হৈ পঢ়া বন্ধ কৰিব লগীয়াত পৰিল। ডাক্তৰৰ পৰামৰ্শ মতে তেখেতে নিজ গাওঁ কুকুৰাত কিছুদিন বিশ্ৰাম লয়। কিছু পৰিমাণে শৰীৰ আৰোগ্য হোৱাত তেখেতে জলবায়ু পৰিবৰ্তনৰ কাৰণে মাকক লৈ উজনি অসমৰ পিনে যাত্ৰা কৰে। যোৰহাটত ভালে দিন বসবাস কৰি তেওঁ সম্পূৰ্ণ আৰোগ্য লাভ কৰে আৰু তাতেই বিয়া-বাৰু কৰাই চাকৰিত সোমাই সংসাৰ পাতে! এৰা-ধৰাকৈ জীৱনৰ ভাল এছোৱা কাল তেখেতে যোৰহাটত কটায়। কুকুৰাত থকা কালত তেওঁ হেনো ওজাপালি ভাওৰা আদি বৰকৈ চাইছিল।"

"মোৰ শৈশৱৰ কাহিনীবোৰ ভাবিবলৈ ললেই ককাৰ কথা সদায় মনত পৰে। মই তেখেতৰ চকুৰ আগতে ওপজা। বৈঁচুৱাৰপৰা কোলাত লৈ মোক তেখেতে ডাঙৰ-দীঘল কৰে। নিচুকনী গীত গাই গধূলি শুওৱা, বাঁহী বজাই বজাই টোপনি নিওৱা এতিয়াও মোৰ মনত পৰে। তেখেত আছিল এগৰাকী কাব্য-ৰসিক পণ্ডিত লোক, ধেমেলীয়া কথা আৰু মৌজলগা সাধুৰ ভৰাঁল। গতিকে তেখেতক ঘৰৰ জীয়ৰীবোৱাৰী, ল'ৰা-ছোৱালী সকলোৱে বৰ ভাল পাইছিল। গধূলি হ'লে প্ৰায়ে তেখেতে ল'ৰা-ছোৱালী, জীয়ৰী-বোৱাৰী সকলোকে গোটাই লৈ বাইদেৱেকৰ (বুঢ়ী আইৰ) ওচৰত এখন সভা পাতি বহে। তেখেতে তাত বঙ্গদেশৰ শ্ৰেষ্ঠ কবিসকলৰ কাব্য আবৃত্তি কৰি ব্যাখ্যা কৰি বুজাই দিয়ে। মোৰ মনত আছে, বাবু নবীন সেনৰ বৈৱতক, কুৰুক্ষেত্ৰ আৰু প্ৰভাস এই কাব্য তিনিখন শেষ নোহোৱালৈকে সেই মধুৰ সন্ধিয়া পৰখিনিলৈ ঘৰৰ সকলোৱে যেন ব্যাকুল প্ৰতীক্ষাতহে কটায় : কেতিয়াকৈ আকৌ আঁধকৰাকৈ এৰা কাব্য-কথা আৰম্ভ হয়, কেতিয়াকৈ আমি তাক শুনিবলৈ পাওঁ, তেনে উৎকণ্ঠাত ঘৰৰ বোৱাৰীসকলে

লবালবিকৈ গধূলিৰ কাম-বন সমাধা কৰি সেই সময়খিনিত কাব্য-সুধা পান কৰিবলৈ আগ্ৰহেৰে আহি বহা মোৰ আজিও মনত পৰে। যেতিয়া অভিমন্যুৰ মৃত্যুত সুভদ্ৰাই শ্ৰীকৃষ্ণক কোৱা "দয়াময়, নাহি লোক......" আদি বচনবোৰ কৰুণ সুৰত পঢ়িছিল, তেতিয়া কোনেও চকুলো নমচাকৈ থাকিব পৰা নাছিল। তেখেতৰ শুদ্ধ শুৱলা সংস্কৃত উচ্চাৰণেৰে পঢ়া ৰঘুবংশ, কুমাৰসম্ভৱৰ শ্লোকবোৰ যেন আজিও মোৰ স্মৃতিৰ কৰ্ণ-কুহৰতে বাজি আছে। তেখেতে মুখে মুখে কোৱা আৰব্য উপন্যাসৰ সাধুবোৰ সোণাময় ল'ৰালিৰ পাহৰিব নোৱাৰা সুমধুৰ স্মৃতিৰূপে আজিও মোৰ মনত পৰে। এনেবোৰ স্মৃতি মনলৈ আহিলে মই মনে মনে গৰ্ব অনুভৱ কৰোঁ, নিজকে সৌভাগ্যৱতী বুলি ভাবোঁ শৈশৱত এনে এটি অনুপম পৰিবেশ পোৱা বাবে। ঈশ্বৰৰ অসীম অনুগ্ৰহত আন সকলো সুখ-সুবিধাৰ বাহিৰেও কাব্যে-গানে, গীতে মাতে উভৈনদী হৈ পৰিছিল মোৰ সোণালী শৈশৱ। শিশু কালত কীৰ্তি ককাৰ দৰে এনে স্নেহময় শিক্ষক-স্বৰূপ ককাদেউতা এজন লাভ কৰা কম সৌভাগ্যৰ কথা নহয়।"

"বহুদিনৰ পিছত কীৰ্তিককাক মই প্ৰথম লগ পাইছিলোঁ যেতিয়া ১৯২৬ চনৰ কংগ্ৰেছ মহাসভালৈ তেখেত গুৱাহাটীলৈ আহিছিল, তেতিয়া। মোৰ বৈধব্য-বেশ দেখি কিমান স্নেহ আৰু বিষাদেৰে তেখেতে মোক কৈছিল— 'আই মোৰ সৰ্বশুক্লা সৰস্বতী, মোৰ অন্তৰভৰা আশীৰ্বাদ আৰু মৰমে তোমাক বৰ্মৰ দৰে আবৃত কৰি ৰাখক। এই কথাষাৰত কিমান স্নেহ, কিমান শুভেচ্ছা প্ৰকাশ পাইছিল—মই মৰ্মে মৰ্মে অনুভৱ কৰিব পাৰিছিলোঁ। তেখেতৰ অকপট স্নেহ আৰু আশীৰ্বাদৰ নিৰ্মালি মই অপৰিসীম শ্ৰদ্ধাৰে শিৰত তুলি লৈছিলোঁ।"

এইদৰে একাধিক সভা-সমিতিত দুয়োকো দুয়ো লগ পাইছিল। যোৰহাটত এবাৰ শঙ্কৰদেৱৰ জন্মোৎসৱলৈ নলিনীবালা দেৱী সভানেত্ৰী হিচাপে আমন্ত্ৰিত হৈছিল। তেতিয়া উৎসৱৰ আটাই কেইদিন বৰুৱালৈয়েৰে তেখেতৰ ওচৰত থাকি তেখেতৰ আলপৈচান ধৰি পৰম তৃপ্তি লভিছিল; হকাবধালৈকো কাণ নকৰিছিল।

ইয়াৰ কিছুদিন পিছত এবাৰ কিবা সভাৰত নলিনীবালা দেৱী পুনৰ যোৰহাটলৈ গৈছিল। তেওঁ গৈ জনীয়েকৰ ঘৰত আছিল। যুৱ-

বদলৈয়ে খবৰ পাই তেওঁক নি আদৰ-সাদৰ কৰি নিজৰ ঘৰত ৰাখিছিল। সেই প্ৰসঙ্গত বৰদলৈদেৱৰ ঘৰখনৰ কথা নলিনীবালা দেৱীয়ে এইদৰে কৈছে— 'গধূলি তেখেতে (বৰদলৈয়ে) মোক তেখেতৰ লগলৈ লৈ যায়। তেখেতৰ আটোমটোকাৰি সৰু পৰিয়ালটি। ল'ৰা মুক্তিনাথ, বোৱাৰীয়েক আৰু চাৰি-পাঁচোটি নাতি-নাতিনীক লৈ তেখেতৰ আদৰ্শ সংসাৰখনি। গোটেইবোৰক লৈ তেখেতে সন্ধিয়াৰ স্তোত্ৰ পাঠ, কবিতা আবৃত্তি, গীত, নামঘোষা, বৰগীত আদি মোক শুনালে। দেখুৱালে তেখেতে কেনেকৈ ঘৰে-ঘৰোৱাহে পুৱা-গধূলি ঈশ্বৰ উপাসনা কৰি ভাল পাইছিল।

"কীৰ্তিককাই নিজৰ ঘৰখনৰে লেখক-লেখিকাবোৰক লৈ এখন হাতে-লিখা আলোচনী যুগুত কৰিছিল। কোনোবাজন নাতিয়ে তাত ছবি আঁকিছে; কোনোবাই কবিতা লিখিছে, কোনোৱে গীত ৰচনা কৰিছে; কোনোৱে বা সাধু। এনেকৈ নিজ ল'ৰা-বোৱাৰী, নাতি-নাতিনী আটাইৰে ভিন ভিন প্ৰবন্ধ, কবিতা, আদিৰে জকমকাই থকা আলোচনীখন দেখি মই স্তম্ভিত হৈছিলোঁ।"

'সদানন্দ ভাবত ভোলানাথ থকাদি আছিল যদিও সাংসাৰিক সুখত কিন্তু কীৰ্তিনাথ ককা সুখী আছিল বুলিব নোৱাৰি। সৰুতে হৈছিল পিতৃ-হীন; মাজবয়সত মাতৃ, পাছত সহধৰ্মিণী সকলোৱে তেখেতক এৰি গ'ল। শেহৰ বুঢ়া বয়সতো তেখেতে আৰু কেইবাটাও আঘাত পায়। মাজু ল'ৰা হৰিনাথ ডাক্তৰী পাছ কৰি পৰ্ব্বতীয়া অঞ্চলত চাকৰি কৰি থাকোঁতে কৰ্ম-স্থলীতে ৰোগাক্ৰান্ত হয়। দৈৱ-দুৰ্বিপাকত চিকিৎসা বিভ্ৰাট ঘটিল আৰু হৰিনাথ মৃত্যুৰ মুখত পৰিল। তাৰ পাছত সৰু ল'ৰাটি নিৰুদ্দেশ হয়। ইফালে ডাঙৰ জোঁৱাই কৰ্ণীয়া। এনে শোকাবহ পৰিস্থিতিতো তেখেতে শান্তি লভিবলৈ যত্ন কৰিছিল তেখেতৰ পিতৃভক্ত পুত্ৰ মুক্তিনাথ আৰু আদৰ্শ বোৱাৰী বিজয়াৰ মধুৰ সংসাৰখনিৰ হিয়া উবুৰিয়াই দিয়া পৰিচৰ্য্যাত। তেওঁলোকৰ সেৱা-যত্ন আৰু শ্ৰদ্ধা-ভক্তিয়ে তেখেতৰ জুৰুলা জীৱনৰ শেষৰ দিনকেইটাত শান্তিৰ অমিয়া ঢালিছিল। শেহত পুতেক মুক্তিনাথৰ লগতে গৈ নিজৰ ওপজা ঠাইৰণৰা বহুত দূৰৈত, তাহানিৰ ভীমক ৰজাৰ ৰাজ্য শদিয়াত অবৰ্ণনীয় বানপানী আৰু ভূঁইকপত জীয়াতু ভুগি এই মহাপ্ৰাণ লোকজনে ১৯৫২ চনৰ ২৩ ফেব্ৰুৱাৰী তাৰিখে শিৱচতুৰ্দ্দশীৰ দিনা চিৰশান্তি লাভ কৰে।"

অসম সাহিত্য সভাৰ প্ৰাক্তন সভানেত্ৰী বিখ্যাত মহিলা কবি নলিনী বালা দেৱীৰ মধুময় বৰ্ণনাত প্ৰকাশ পোৱা এইজনাই আছিল কীৰ্ত্তিনাথ বৰদলৈ ; এয়ে আছিল তেওঁৰ গাৰ্হস্থ্য জীৱন-চিত্ৰ। এই মহান ব্যক্তিজনাৰ জীৱন তেওঁৰ গুণী-জ্ঞানী পুত্ৰ মুক্তিনাথ বৰদলৈৰ জীৱনৰ লগত এনেভাৱে জড়িত আছিল যে এজনক বাদ দি আনজনৰ কলা, কৃষ্টি আৰু সাহিত্য জীৱন আলোচনা কৰা প্ৰায় অসম্ভৱ। পিতা-পুত্ৰ দুয়ো বঙ্কুৰ ভাৰত আলোচনাৰ মাজেদি গীত-নাটৰ ৰচনা হাতত লৈছিল, আনৰ বা স্বৰচিত গীতত সুৰ দিছিল। তেওঁৰ কৰ্মময় জীৱনৰ কথা সমকালীন লোকৰপৰা পোৱা বৰ্ণনাৰ সহায়ত আৰু তাকে যৎকিঞ্চিৎ কোৱাৰ পাছত ভাষা আৰু সংস্কৃতিৰ সেৱালৈ আগবঢ়োৱা তেওঁৰ মূল্যবান অৱিহণাৰ কথা চমুকৈ আলোচনা কৰা যাওক।

সঙ্গীত-প্ৰাণ বৰদলৈদেৱে তেওঁৰ বৰজীয়েকক এদিন কৈছিল—"বাছা, তই মোৰ মৃত্যুৰ সময়ত ৰবি ঠাকুৰৰ 'সন্মুখে শান্তি পাৰাবাৰ' এই গানটো শুনাই দিবি।" কিন্তু মহাকালে তেওঁৰ আশা পূৰ হবলৈ নিদিলে। তেওঁৰ মৃত্যুৰ পৰত বৰজীয়েক থাকিল বহুত দূৰৈত, প্ৰায় এশ মাইল দূৰত।

বৰদলৈ আছিল, গীতাত কোৱাৰ দৰে, এগৰাকী স্থিতপ্ৰজ্ঞ লোক : দুখতো কাতৰ নহয়, সুখেও তেওঁক উতলা কৰিব নোৱাৰে। তেওঁৰ প্ৰাণসম পুত্ৰ হৰিনাথ বৰদলৈৰ বিয়োগ-বতৰা হঠাৎ পাই প্ৰথমে তেওঁ মূৰ্চ্ছা গৈছিল। কিন্তু মূৰ্চ্ছা ভগাৰ পাছত চেতনা লভি হাতত গীতাখন লৈ তাকে পাঠ কৰাত লাগি গৈছিল। চকুলো নাই, মুখত ব্যাকুলতাৰ চিন নাই। হৰিনাথৰ ককায়েক মুক্তিনাথ বৰদলৈয়ে ভ্ৰাতৃ-বিয়োগত কাতৰ হৈ কান্দি-কাটি অধৈৰ্য্য হোৱা দেখি তেওঁ সান্ত্বনা দি কৈছিল—"বাছা নাকান্দিবি, কান্দিলেও আৰু নাপাব, তাকে ভাবি নাকান্দিবি।" মুক্তিনাথে কান্দি কান্দিয়ে উত্তৰ দিছিল, "দেউতা, আপোনাৰ দৰে স্থিতপ্ৰজ্ঞ হ'ম কেনেকৈ? মই নোৱাৰো? মই তেজ-মঙহৰ সাধাৰণ মানুহ।"

শেষ বাৰৰ কাৰণে বৰজী বৰজোঁৱাইৰ ঘৰ এৰি বৰপুত্ৰ মুক্তিনাথ বৰদলৈৰ লগত শদিয়ালৈ যাবলৈ ওলোৱাত জীয়েকে যেতিয়া থাকিবলৈ ধৰিছিল তেতিয়া তেওঁ কৈছিল—"আই মোক বাধা নিদিবি। যোৱাটো এয়ে কৰ্তব্য। আমিতো আৰু আৰু নাই। মাক খঙ্গাইছেন আয়ো তেওঁ

তাক এনে এখন ঠাইলৈ পঠালেহেঁতেন? ময়ে এতিয়া তাৰ মাক-বাপেক দুয়োকো কাম কৰিব লাগিব।”

বোৱাৰীয়েক বিজয়াক তেওঁ শাহুয়েকৰ মৰমখিনিও দিবলৈ যত্ন কৰিছিল। তেখেতৰ বৰজীয়েকে এই বিষয়ে কয়: “বুকুৰ দেউতাই নবৌক শাহুৰ ভাগৰ মৰম-চেনেহ আৰু তত্ত্বাৱধানখিনিও দিবলৈ পাহৰা নাছিল। ঘৰৰ সকলোকে খুৱাই বুৱাই নবৌয়ে পিছতহে নিজৰ খোৱাটো আগুকাণ কৰে, সেই ভাবি ন’বা-ছোৱালী সকলোকে খুৱাই উঠিলে বুকুৰ দেউতাই কয়: মা ঐ, তোলৈ আৰু মোলৈও ভাত বাঢ় গৈ যা।’ এই বুলি পিতা-পুত্ৰীৰ দৰে দুয়ো খায়।” ++

সৰুবেপৰা বৰদলৈ বাঁহী বজোৱাত পাকৈত আছিল। সৰু কালতে এবাৰ বৰজীয়েকৰ সন্নিপাত জ্বৰ হৈছিল। জ্বৰতো তেওঁ হেনো দেউতাকৰ বাঁহী বজোৱা শুনিবলৈ কাউচি কাঢ়িছিল। জীয়েকৰ তীব্ৰকঁপে জ্বৰ উঠিছে, পৰিয়ালৰ সকলো আলপৈচান ধৰাত ব্যস্ত, তেনে অৱস্থাত দেউতাকে বাঁহী বজায় কেনেকৈ? তথাপি এবাৰ নোৱাৰি তেওঁ বাঁহী বজাইছিল আৰু বেমাৰীও তাকে শুনি নিবলে টোপনি গৈছিল।

বৰদলৈ ভাওৰীয়াৰ সঙ্গীত যেনে প্ৰিয় আছিল, চিকাৰো আছিল সমানে প্ৰিয়। পিছে তেওঁ চৰাই চিকাৰতহে পাৰ্গত আছিল; বাঘ, হাতী বা অন্য জন্তু চিকাৰত নহয়। তেওঁৰ পত্নীয়ে কিন্তু জীৱ হত্যা সমূলি ভাল নাপাইছিল। সঙ্গীতজ্ঞ এজন হৈ নিষ্ঠুৰ চিকাৰীৰ বন্দুক হাতত লোৱা বাবে পত্নীয়ে তেওঁক মিঠা মুখৰ ককৰ্থনাও মাজে-সময়ে নকৰাকৈ নাছিল।

সৰুকালত কীৰ্তিনাথে দুষ্ট ল’ৰা হিচাপেও সাহস আৰু বুদ্ধিৰ চিনাকি নিদিয়াকৈ নাছিল। এবাৰ বিয়া-যাত্ৰীক আগচিদলৈ গৈ হেঙাৰ বান্ধি ৰাখিব নোৱাৰি ছিটিকি পৰি কঁকালত আজাৰ পাইছিল, আৰু কেইবাদিনলৈ লুকাই লুকাই কঁকাল বেঁকাকৈ ফুৰিবলগীয়া হৈছিল। চাকৰিও তেওঁ এটা এটাকৈ বহু কেইটাকে কৰিছিল; কিন্তু কোনোটোতে লাগি নাথাকিল। কেৰাণী, আবকাৰী-দাৰোগা, শিক্ষক আৰু শেষত চৰকাৰৰ প্ৰচাৰ বিভাগৰ কৰ্মচাৰী হৈ জীৱন নাটত বিধি ভাও লৈছিল।

সঙ্গীত আৰু শিক্ষকতা বৰদলৈ ভাওৰীয়াৰ প্ৰিয় বৃত্তি আছিল। বৰজীয়েকে সেই বিষয়ে লিখিছে “গোলাঘাটত আমি চাৰিটা সন্তানহে আছিলোঁ বাকী-

ফেইটা ঢুকাইছিল—বৰদাদা, জানদাদা, ভনীকণ আৰু মই। আমাৰ চাৰিও জনাকে গধূলি মেজৰ চাৰিওকাষে লৈ তেওঁ পঢ়ুৱাইছিল। আমাৰ চাৰিওটিৰ কাৰণে বুকুৰ দেউতাই সান্ধ্য ভ্ৰমণ গধূলি ছয় বজাতে সামৰে; শনিবাৰে গধূলি সাধু কয়, দেওবাৰে গান বাজনা। আমাৰ সপ্তাহটো গৈ কাহানি শনিবাৰ দেওবাৰ হয়, তাকেহে আমি সদায় আঙুলিৰ মূৰত গণি আছিলোঁহক। ×× তেওঁ আমাৰ সকলোটিকে গোলাঘাটৰ গীৰ্জা আৰু যোৰহাটৰ গীৰ্জালৈ মাজে সময়ে নিছিল। আমাক গীৰ্জালৈ নিয়াৰ উদ্দেশ্য আছিল গীৰ্জাৰ নিয়ম-শৃঙ্খলাবোৰ তেওঁ বৰ ভাল পাইছিল, আৰু আমাকো সেইবোৰ শিকিবলৈ কৈছিল। গীৰ্জালৈ বৰকৈ অহ-যোৱা কৰা দেখি এটা মিছনেৰি চাহাবে ভাবিছিল, দেউতাই কিজানি খ্ৰীষ্টধৰ্ম গ্ৰহণ কৰেইবা! চাহাবে এদিন দেউতাক সেই বিষয়ে ভয়ে ভয়ে সোধা-পোচাও কৰিছিল। 'হিন্দু ধৰ্মতে মই খ্ৰীষ্ট ধৰ্মও পাইছোঁ দেখোন' বুলি পিতাই উত্তৰ দিছিল।"

কীৰ্তিনাথ অকল সঙ্গীতজ্ঞ আৰু নাট্যকাৰেই নাছিল, এজন কৃতি অভিনেতাও আছিল। ভ্ৰমৰঙ্গ নাটকত (Comedy of Errors) তেওঁ হৈছিল কামপুৰীয়া কলিমন, অন্য এখনত ভিক্ষাৰী। তেওঁ আকস্মিকতা বা প্ৰত্যুৎপন্নমতিত্ব প্ৰদৰ্শন কৰিবলগীয়া অভিনয়বোৰত বেচ দক্ষতা দেখাব পাৰিছিল। তাৰপৰাই তেওঁৰ তৎকালীন বুদ্ধি-বৃত্তি সম্পৰ্কে অনুমান কৰা যায়।

সঙ্গীতত তেওঁৰ নমস্য গুৰু আছিল সঙ্গীতাচাৰ্য্য লক্ষ্মীনাথ বৰুৱা। বৰুৱাৰ ফটো এখন তেওঁ যত্নেৰে আলফুলকৈ ৰাখি তাহানিৰ ভক্ত একলব্যৰ দৰে তাৰ আগত ভক্তি সহকাৰে সদায় ধূপ-ধুনা দিছিল। তেওঁ পৰম মাতৃ-ভক্ত আছিল। ক'ৰবালৈ যাবলৈ হলে তেওঁ মাতৃ ঠাকুৰাণীৰ চৰণ ধূলি শিৰত নোলোৱাকৈ নোলাইছিল। নামঘৰলৈ গৈ তেওঁ খোল-মৃদঙ্গৰ বোলবোৰৰ সম্পৰ্কে চৰ্চ্চা কৰিছিল। ইফালে জ্যোতিষ বিদ্যাতো তেওঁ কম নাছিল। তেওঁৰ নিজৰ সোঁৱৰণী নিজে ৰচনা কৰাৰ বাহিৰেও নিজৰ নিজৰ ল'ৰা-ছোৱালীবোৰৰ জন্ম-পত্ৰিকা কৰি দিছিল। তেওঁ নিজৰ বিষয়ে গণনা কৰি লিখি থৈছিল—১৯৫২ চনৰ ফেব্ৰুৱাৰীত মোৰ বাহৰ মাৰক দশা। যদি সেই মাহ কেনেবাকৈ বাচোঁ, তেনেহলে ১৯৫৪ চনলৈকে বাচিম, আৰু ৰক্তচাপতে মোৰ মৃত্যু দেখা যায়।'

প্ৰাচীন গৌৰৱ আৰু পুৰণি বস্তুৰ প্ৰতি বৰদলৈদেৱৰ অসীম শ্ৰদ্ধা আছিল। তেওঁ 'কামৰূপীয় সঙ্গীত' নামৰ পুথিত কৈছে— "এনেধৰণে মোৰ চাওত জাহ যাবলগীয়া হোৱাত 'শ্ৰীহস্তমুক্তাৱলী' নামৰ অসমীয়া গদ্য আৰু পদ্য সম্বলিত প্ৰাচীন কামৰূপীয় নৃত্য-বিদ্যাৰ এখনি অনুপম সংস্কৃত গ্ৰন্থ স্বৰ্গীয় হেমচন্দ্ৰ গোস্বামীদেৱে কাৰবাৰ মোৰ চাওবপৰা উদ্ধাৰ কৰি নি কামৰূপ অনুসন্ধান সমিতিৰ পুথি-ভঁড়ালত তন্ত্ৰপুথিৰ তালিকাভুক্ত কৰি থৈছিল। ১৯৩০ চনৰ জানুৱাৰী মাহত মই কোনো কাৰ্য্য উপলক্ষে গুৱাহাটীলৈ যাওঁতে অনুসন্ধান সমিতিৰ পুথি-ভঁড়াল চাওঁতে। অন্য পুথি কিতাপ চাই থাকোঁতে এই পুথিখনি মোৰ চকুত পৰে। দুই-এটা পাত পঢ়ি সেই পুথিৰ বিষয় বস্তুটো বুজি সমিতিৰ সম্পাদকৰ সৌজন্যত দুই-তিনি দিনলৈ সেই পুথিখনি বহালৈ নি আগৰপৰা গুৰিলৈ পঢ়ি ইয়াৰ এটা ভূমিকা আৰু চানেকি লিখি অসম প্ৰত্নতত্ত্ব আৰু বুৰঞ্জী বিভাগৰ সেই সময়ৰ ডাইৰেক্টৰ অধ্যাপক ৰায়বাহাদুৰ সূৰ্য্যকুমাৰ ভূঞাদেৱৰ হাতত দি থৈ আহো। তাৰ ভালেমান দিনৰ মূৰত অৰ্থাৎ ৯৩৫ চনৰ ১ ডিচেম্বৰ তাৰিখৰ মোৰ সম্পাদিত আৰু প্ৰকাশিত ত্ৰৈ-সাপ্তাহিক 'অসম'ত ৰায়বাহাদুৰ ভূঞাদেৱে উক্ত চিনাকীটো প্ৰকাশ কৰে।' এই পুথি ইতিমধ্যে ড° মহেশ্বৰ নেওগৰ সম্পাদনাত প্ৰকাশ হৈছে।

সাংবাদিকতাৰ ক্ষেত্ৰতো কীৰ্তিনাথ বৰদলৈ এগৰাকী অগ্ৰগণ্য সংবাদিক আছিল। যোৰহাটত থকা কালত তেওঁ "দৈনিক বাতৰি", সাপ্তাহিক বাতৰি আৰু 'অসম' 'অসম বাইজ' আদিত সম্পাদক হিচাপে কিছুকাল খাটিছিল।

চৰকাৰৰ খবৰ 'পাব্লিচিটি অৰ্গেনাইজাৰ' আৰু সৰহ শস্য উৎপাদন বিষয়া (Grow more food officer) হিচাপে তেওঁ দুবাৰ দুটা পদবীত দায়িত্ব গ্ৰহণ কৰি চৰকাৰৰ প্ৰচাৰ বিভাগটোত নতুন গীত-মাতক প্ৰাধান্য দি তাৰ প্ৰতি সকলোৰে আগ্ৰহ আৰু সহানুভূতিৰ সৃষ্টি কৰিছিল। তেওঁ এই কামত থাকোঁতে "জাগৰণী" বুলি কিতাপ এখন উলিয়াইছিল আৰু তাত প্ৰায় চাৰিশ মান গীত আছিল। সেইবোৰৰ আধা-সংখ্যকমান বাণীবদ্ধও হৈছিল। এবাৰ তেওঁ সঙ্গীতৰ এটা বিশেষ মজলিছত অংশ গ্ৰহণ কৰিছিল। তাত হিন্দুস্থানী, মণিপুৰী আদি কেইবা ঠাইৰ কেইবাজনো বিখ্যাত ওস্তাদ আছিল। মজলিছ কেইবা দিনো চলিছিল। সেই সময়ত

তেওঁ কণ্ঠেৰে গান গা'ব নোৱাৰে। তেওঁৰ লগত তেওঁৰ গুণমুগ্ধ পুত্ৰ মুক্তি বৰদলৈও আছিল। অইন অইন ঠাইৰ ওস্তাদসকলে নিজ নিজ ঠাইৰ গৌৰৱ ব্যাখ্যা কৰি গীত-বাদ্য পৰিৱেশন কৰা দেখি তেওঁৰ মনেও উচ্‌পিচাই আছিল। শেষত নিজে নোৱাৰি পুতেক মুক্তিনাথ বৰদলৈৰ হতুৱাই কুকুৰাৰ নাওখেলাৰ ভাটিয়ালী—'ঢৌ দেখি হালি পৰে গা—এহে গোপীনাথ, কাৰৰ চপাই দিয়া নাও'—গীতটো গোৱাই শুনালে। ওস্তাদসকলে গীত শুনি স্তব্ধ হৈ অসমতো যে এনে সুন্দৰ ভাটিয়ালী আছে, তাকে কৈ ভূৰি ভূৰি প্ৰশংসা কৰিছিল।

বৰদলৈদেৱৰ মৃত্যুত যোৰহাটৰ চক্ৰধৰ মহন্তই লিখিছিল—'বৰদলৈ আছিল এজন প্ৰাচীন মতাৱলম্বী সঙ্গীতজ্ঞ। প্ৰাচীন শাস্ত্ৰীয় মতৰ লৰচৰ আৰু ৰাগ-ৰাগিণীত আধুনিকতাৰ চেকা দেখিলে তেওঁ সমূলি সহ্য কৰিব নোৱাৰিছিল। ··বৰদলৈদেৱ আদিতে স্কুলৰ শিক্ষক, তাৰ পাছত আবকাৰী বিভাগৰ বিষয়া আৰু ভাটী বয়সত বাতৰি কাকতৰ সম্পাদক আছিল বুলি তেখেতে আমাক পৰিচয় দিছিল। তেখেতে যি ব্যৱসায় বা চাকৰিতে জীৱনৰ উপজীব্য বিচাৰিছিল, তাতে তেখেতে যে এজন সুৰুচিসম্পন্ন সাহিত্যিক, সুকুমাৰ কলাৰ সাধক আৰু সমাজ-হিতৈষী লোক আছিল তাক সকলোৱে উপলব্ধি কৰিছিল।'

কীৰ্তিনাথ বৰদলৈৰ কৰ্মবহুল জীৱনৰ লতাজুপিয়ে গোৱালপাৰাৰপৰা শদিয়ালৈকে সমগ্ৰ অসমত হেডালি বগাইছে যদিও তাৰ গুৰিশিপা আছিল মঙ্গলদৈ অঞ্চলৰ দৰঙী কলা-কৃষ্টিত, আৰু তাৰে জীপ লৈহে তেওঁ সৃষ্টি কৰা সকলো গীত-মাতে ঠন ধৰি উঠিছিল। সেয়েহে তেওঁৰ সঙ্গীতত পোৱা যায় আইকৈ দুৰ্গাবৰী, সুকনান্নী, বিয়াহ, বিয়াগীত আদিৰ সুৰ-সমন্বয়। তাকেই তেওঁ কামৰূপী বা পুৰণি অসমৰ স্বকীয় সঙ্গীতৰ স্বৰূপ বুলি ব্যাখ্যা দিছিল। তেওঁৰ কৰ্ম জীৱনটো ভালকৈ মঙ্গলদৈতে বুলিব পাৰি। বেণুধৰ ৰাজখোৱাদেৱে তাহানি মঙ্গলদৈত হাকিম কাম কৰোঁতে বিংশ শতিকাৰ প্ৰথম দশকত তেওঁৰ নিজৰ ঘৰতে আৰম্ভ কৰি দিয়া 'মঙ্গলদৈ মজলিছ' নামৰ আলোচনা চক্ৰখনৰো গুৰি ধৰিছিল বৰদলৈ ডাঙৰীয়াই। 'মোৰ জীৱন দাপোণ' বোলা পুথিত বেণুধৰ ৰাজখোৱা ডাঙৰীয়াই লিখিছে 'মঙ্গলদৈ মজলিছ' নামেৰে এই এখন সভা স্থাপন কৰিছিলোঁ। সেই সভা পাতিলে

সাদিনে বহিছিল। তাত নানা প্ৰকাৰে দেশহিতকৰ বিষয়ে আলোচনা হৈছিল। মই ৰাসী সভাপতি আছিলোঁ। ......মঙ্গলদৈ মজলিছৰ গুৰিত পানী যোগাওঁতা আছিল মোৰ পৰম বন্ধু শ্ৰীযুত কীৰ্ত্তিনাথ শৰ্মা বৰদলৈ। তেতিয়া তেওঁ আছিল কাছাৰীৰ ইংৰাজী অফিচত দ্বিতীয় কেৰাণী। বৰদলৈ এজন পাৰদৰ্শী সঙ্গীতজ্ঞ বুলি প্ৰসিদ্ধ। তেওঁৰ অসামান্য সঙ্গীতৰ সুৰে বহু মানুহৰ মন আকৰ্ষণ কৰিছিল। সেই সেই অনুষ্ঠানৰ ভিতিতে সঙ্গীতৰ সাহায্য নহ'লে ফল লাভ দুৰুহ। ......প্ৰেমৰ পৰকাষ্ঠা হয় সঙ্গীতত, ভক্তিৰ প্ৰসাৰ হয় সঙ্গীতত, বহুৰালি মুৰ্তিমন্ত হয় সঙ্গীতত, আনকি ৰণচণ্ডীও উন্মত্ত হয় সঙ্গীতত। 'মজলিছ'ৰ জন্ম তাৰিখ ১৯০৬ চনৰ ২৪ অক্টোবৰ। পোনতে ৰজত বৰুৱা সম্পাদক আৰু শ্ৰীকীৰ্ত্তিনাথ বৰদলৈ সহকাৰী সম্পাদক আছিল।" কীৰ্ত্তিনাথ বৰদলৈয়ে তাৰ বৈঠকবোৰত সক্ৰিয় অংশ গ্ৰহণ কৰাৰ প্ৰথম বছৰৰ দুখন বৈঠকত নিজে দুটা বিষয়ৰ আলোচনা মুকলি কৰিছিল : যেনে, (১) অসমৰ দৰিদ্ৰতা আৰু নিৰক্ষৰতা নিবাৰণৰ উপায় আৰু (২) পূৰ্ণানন্দ বুঢ়াগোহাঁই।

প্ৰখ্যাত প্ৰকাশক আৰু সাহিত্যিক হৰিনাৰায়ণ দত্তবৰুৱাই স্বৰলিপি সম্বলিত বৰদলৈৰ নাটিকা 'মেঘাৰজী' ছপাবলৈ লৈ প্ৰকাশৰ নিবেদনত কৈছিল— "যি সময়ত অসমীয়া ভাষাত গীত ৰচা আৰু গোৱা অসম্ভৱ বুলি ভবা হৈছিল, সেই সময়ৰ ১৯০৬ চনতে সঙ্গীতাচাৰ্য্য বৰদলৈদেৱে বেণুধৰ ৰাজখোৱা, পদ্মধৰ চলিহা আদি গীতিকাৰসকলৰ গীতত সুৰ সংযোজন কৰি অভিনয়, সঙ্গীত, বৈঠক, আদিৰ যোগেদি অসমীয়া গীতেৰে অসম ওপচাই পেলাইছিল। বৰ্তমান শতিকাৰ আগভাগত গোৱালপাৰাত অসমীয়া গীত আৰু অভিনয়ৰ প্ৰচাৰ আৰু জনপ্ৰিয়তা কীৰ্ত্তি বৰদলৈৰ কীৰ্ত্তি।"

মঙ্গলদৈত কীৰ্ত্তিনাথ বৰদলৈ ডাঙৰীয়া কুৰি শতিকাৰ প্ৰথম দশকতে ভালেকিবছৰ আছিল। তেওঁ কিছুকাল মঙ্গলদৈ হাইস্কুলত শিক্ষকতা কৰিছিল, কিছুকাল কৰিছিল কাছাৰীত ইংৰাজী অফিচৰ কেৰাণী কাম। ১৯০৪ চন মানৰ কথা। মঙ্গলদৈৰ প্ৰথিতযশা উকীল আৰু সাহিত্যিক ভবেশ্বৰ শৰ্ম্মাদেৱে সেই বছৰ মঙ্গলদৈ হাইস্কুলত নাম লগায়। তেওঁ 'মোৰ জীৱনৰ দুই-চাৰিটা কথা' বোলা প্ৰবন্ধত লিখিছে—'হাইস্কুলত নাম লিখোৱা সময়ত মই তেতিয়াই অজলা আছিলোঁ। ......অলপ দিনৰ পাছতে শুনিছিলোঁ—

ৰুৰুৱাৰ কীৰ্তিনাথ বৰদলৈ আমাৰ মাষ্টৰ হৈ আহিব। তেখেতে হেনো গুৱাহাটীত থাকি এণ্ট্ৰেন্স পাছ কৰিছিল। সেই দিনত এণ্ট্ৰেন্স পাছ হোৱা ল'ৰাবিলাকৰ নাম মানুহৰ মুখে মুখে প্ৰচাৰ হৈছিল। অলপ দিন পাছতে কীৰ্তিনাথ বৰদলৈ আমাৰ মাষ্টৰ হৈ আহি তেখেতৰ বৰ-দেউতাকৰ পুতেক বংশীধৰ বৰদলৈৰ ঘৰত থাকিল। গা-পাতল, শুৱনি মাষ্টৰজনক দেখি ছাত্ৰসকলৰ মনত আনন্দ হৈছিল। তেখেতে ওচৰে-পাজৰে থকা ল'ৰাবিলাকক মাতি বুলি মৰম কৰিছিল। অলপ দিনৰ ভিতৰতে তেখেতে মঙ্গলদৈৰ সমাজখনৰ বৰ প্ৰিয়পাত্ৰ হৈ উঠিছিল।

"অভি, বসুন্ধৰ, মই আৰু কেইজনমান একেলগে গোলোক ভূঞাৰ (স্কুল বিভাগৰ ডেপুটী ইন্সপেক্টৰ) ঘৰতে আছোঁ। তেখেতে বদলি হৈ ঘৰটো এৰি গৈছে। কীৰ্তি বৰদলৈ বংশী বৰদলৈৰ ঘৰতে থাকি আমাৰ খবৰ-বাতৰি লৈ থাকে। বংশী বৰদলৈৰ ঘৰত পাণবাৰ নবীনো থাকে। অভি আৰু বসুন্ধৰ মোতকৈ ডাঙৰ, নবীন তেওঁলোকতকৈ ডাঙৰ। এদিন নবীনে কলে, 'আমাৰ মাষ্টৰে (অৰ্থাৎ কীৰ্তি বৰদলৈয়ে) ৰাতি বাৰ বজালৈ পঢ়ি থাকে। বাৰ বজাৰ আগতে কিতাপ নজপায়।' বসুন্ধৰ-অভিহঁতে কলে: 'ইস্, বাৰ বজাৰ আগতে কিতাপ নজপায়? মিছা! লেমটো জ্বলাই থৈ টোপনি গৈ থাকে হ'ব পায়।' এই কথাটি লৈ দুয়ো পক্ষৰ তৰ্কাতৰ্কি হ'ল। তৰ্কৰ পাছত বাজি ধৰা হ'ল: টকা-পইছাৰ বাজি নহয়, মুখৰ বাজি। বসুন্ধৰ-অভিয়ে কলে,—'আজি ৰাতি এই নাৰিকল গছজোপাত উঠি নাৰিকল পাৰিম বাৰ বজাত। মাষ্টৰে যদি পঢ়ি থাকে, নিশ্চয় গছত উঠাটো গম পাব।' নবীনে কলে—'নাৰিকল পাৰিবা? মৰিবা!' এনেকৈ দুয়ো দলে বাজি ধৰিলে। মই তেবা লাগি কথাবোৰ শুনিলোঁ। মনতে ভাবিলোঁ—ধেমালিখন যেনেতেনে চাবই লাগিব।

ৰাতি পানী খাই উঠি দুৱাৰত বহোঁতা ঘণ্টাৰ কোব পৰা শুনিলোঁ। তেওঁ-লোক তিনিজনে বহি ল্যাম্প লৈ মাষ্টৰ থকা ঘৰটোলৈ চাই আছে; ভিতৰত হাৰিকেন লেম জ্বলি আছে। ক্ৰমে ক্ৰমে শব্দ হৈ বাৰ বাজিল। কেই মিনিটমান পাছতে লেমটো নুমাল। অভিৰ হাতত এডাল টৰ্চ্চ বন্তী দেখিলোঁ। আৰু এটা দুৰ জৰিত ছাত্ৰজনীৰ গৰেবেৰিয়াৰে আনদৈ দুৰ গাত পেলাই লয়। এখন কাঁচিলী কঁকালত খুঁচি লয়। মাষ্টৰ

"গৌৰা বিচনা আছিল সমুখৰ ঘৰটোত। ঘৰটোৰপিনৰ দহ-বাৰ হাত মান দূৰৈত নাৰিকলজোপা। অভি লাহে লাহে গছজোপাত উঠি গ'ল। বসুন্ধৰ গছৰ ওচৰতে বৈ আছে। নবীন অলপ দূৰৈত। মই চৰকাৰী আলিটোত থিয় হৈ ঘৰটোৰ দুৱাৰখনলৈ চাই আছোঁ। মই আহিছোঁ চাবলৈ, তথাপি কিবা এটা ভয় লাগিছে। অভিয়ে থোকৰপৰা এটা নাৰিকল কাটিলে, কিন্তু ওপৰতে ধৰি ৰাখিব নোৱাৰিলে। নাৰিকলটো টান মাটিত পৰি এটা শব্দ কৰি জপিয়াই আঁতৰি গ'ল। বসুন্ধৰে নাৰিকল বিচাৰিছে। অভিয়ে বেগাই চুচৰি নামি আহি নাৰিকলটো কেনি গ'ল চাইছে। নবীনে মোৰ ওচৰলৈ আহি ভয়ত কিবা বেংবেঙাইছে। মই নিৰ্ভয় মনেৰে আলিত থিয় হৈ একে ঠাইতে আছোঁ। এনেতে ঘৰটোৰ দুৱাৰখন অকণমান মেল খালে আৰু একজঁলমান ওখ কিবা এটা বগা বস্তু অলপ বৈ বৈ যেন ওলাই আহিল। মাষ্টৰে এখন বগা চুৰিয়া পিন্ধি আছিল আৰু দুৱাৰখন মেলি আহিবলৈ চাই আছিল। নিমিষৰ ভিতৰতে মাষ্টৰে হাঁতত এডাল প্ৰকাণ্ড কলীয়া টোকোন লৈ দুয়োজনৰ মূৰ লক্ষ্য কৰি খেদি আহি ওচৰ চাপিল। মই চিঞৰ মাৰি দিলোঁ। – 'ছাৰ, আমাৰিষ, আমিহে। আমি ছাৰ, নাঁদা-বিৰ।' মোৰ চিঞৰ শুনি মাষ্টৰ থমক খাই ৰ'ল। সুধিলে, – 'হু। কোন শুইত?' মই একে উশাহে কথাখিনি কৈ দিলোঁ। নবীন, বসুন্ধৰ আৰু অভিৰ মাজত যিবিলাক কথা হৈছিল, সকলোখিনি কৈ দিলোঁ। মোৰ কথা শুনি মাষ্টৰে ক'লে ····'মই ভাবিলোঁ বজাৰৰ কাবোবাৰ ল'ৰাই আহি চুৰ কৰি নাৰিকল পাৰিছে হ'বলা।' কি নবীন, ইয়াৰ্মা ডাঙৰ ল'ৰাটো, তোমাৰ লাজ নাইনে? বহুন, অভি, মই বাত্তিবুৰাই তহঁতক ঘাদাত গজাই দিম, এতিয়া যা।' · ইয়াৰ পাছত মই একে লাখে গৈ বিচনাত উঠিলোঁ। "মাষ্টৰে পাছ দিনা এই ঘটনাৰ বগৰৰ ভাগ স্কুলৰ "সকলো" শিক্ষকক দিলে।"..

ইয়াৰ মাহচেৰেক পাছত অইন এটিমান কথা। তেতিয়াৰ উজলাই চহৰ এতিয়াৰ মদলাইৰ চহৰ [illegible]। তেতিয়া ই আছিল নিচেই সৰু আৰু চাবি-[illegible]। [illegible] মহল্লৈ নাহীৰ পাঁৰহৌৰু [illegible]। তেতিয়াৰ [illegible] লাগোতেই [illegible] ৰাম [illegible]। [illegible] বুলি কেনেবাকৈ শুনি পালেই কেউকালে মাহতে [illegible] আৰু [illegible] বজায়।

তেতিয়াৰ মঙ্গলদৈৰ স্কুলসমূহৰ ডেপুটী ইন্সপেক্ট আছিল লক্ষ্মীনাথ শৰ্মা বুলি এজন বৰ তীখৰ লোক। মহকুমাধিপতি আছিল ক্লিফৰ্ড চাহাব। এদিনাখন মাজনিশা বাঘৰ গোঁজৰণি শুনি বেপাৰ পাৰৰ মানুহবোৰে টিং-শঙ্খ-ভোৰতাল আদি বজাই চিঞৰ-বাখৰ কৰিছিল: তাতে চাং-বঙলাত থকা মহকুমাধিপতি ক্লিফৰ্ড চাহাবৰ টোপনিত ব্যাঘাত জন্মিল।

পিছদিনা ছুপৰীয়া ডেৰমান বজাত চিপাহীয়ে পিয়ন-পিয়নে আগ নিশা টিং কোবোৱা মানুহ বিচাৰি ফুৰিছে। কাকো ক'তো ধৰিবলৈ নাপাই সিহঁতে যথেমধে স্কুলীয়া ল'ৰা কেইটামানক ধৰি নিবলৈ স্থিৰ কৰিলে। অলপ অজলা প্ৰকৃতিৰ ল'ৰা পাই তপেশ্বৰ শৰ্মাকে এজন ললে। দূৰত ডি. আই লক্ষ্মীনাথ শৰ্মাৰ চাপ্ৰাচীটোকে পাই তেওঁকো ধৰি ললে। দুয়োকো লৈ চিপাহী গৈ থাকোঁতে শিক্ষক কীৰ্তিনাথ বৰদলৈয়ে কেনেবাকৈ তেওঁলোকক দেখা পালে। তেওঁ পোনেই ওচৰলৈ গৈ তপেশ্বৰ শৰ্মাক সুধিলে. কি হৈছে অ'? শৰ্মাই উত্তৰ দিলে—'ছাৰ, কোনোবাই বোলে ৰাতি টিং কোবাইছিল; সেইদেখি আমাক চিপাহীয়ে চাহাবৰ ওচৰলৈ ধৰি নিব ওলাইছে। চাহাবৰ ওচৰলৈ আমি যাব লাগে বোলে, সেইদেখি আহিছোঁ।

তেতিয়া মঙ্গলদৈ হাইস্কুলৰ হেড্‌মাষ্টৰ আছিল বীৰেন মজুমদাৰ বুলি এজন চোকা মানুহ। বৰদলৈয়ে তেওঁৰ ওচৰলৈ ল'ৰা, চিপাহী সকলোকে লৈ গ'ল। হেড্‌মাষ্টৰ মজুমদাৰে কথাটো শুনি লৈ এখন কাকতত কিবা-কিবি লিখি চিপাহীৰ হাত দিলে আৰু তপেশ্বৰ শৰ্মাক মোকলাই ৰাখি ক্লাচলৈ পঠিয়াই দিলে। চিপাহীয়ে ডি, আই লক্ষ্মীনাথ শৰ্মাৰ চাপ্ৰাচীটোকে ধৰি-বান্ধি নি চাহাবৰ ওচৰত হাজিৰ কৰিলে।

শৰ্মা তেতিয়া কিবা কামত বাহিৰলৈ গৈছিল। চাৰি বজাৰ পিছত ঘৰলৈ আহি তেওঁৰ চাপ্ৰাচীক চিপাহীয়ে ধৰি নিয়া বুলি শুনি তেওঁ পোনছাটে ক্লিফৰ্ড চাহাবৰ ওচৰ পালেগৈ। দুয়োৰো মাজত হেনো ভালকৈয়ে কথাৰ কটাকটি লাগিছিল। শেষত চাহাবে শৰ্মাৰ চাপ্ৰাচীক এৰি দিলে।

এই ঘটনাটোৰ কথা চহৰৰ মুখে-মুখে ৰাষ্ট্ৰ হৈ পৰিল। বিশেষকৈ শিক্ষক বৰদলৈৰ বুদ্ধি আৰু ডি. আই. লক্ষ্মীনাথ শৰ্মাৰ সাহসৰ কথা মানুহৰ মুখে-মুখে হৈ পৰিল। "ঘটনাৰ" পাছত টিং-কোবোৱাৰ প্ৰকোপ কমিল, কিন্তু বাঘৰ উৎপাত কিন্তু চলিয়ে থাকিল।

এইদৰে কীৰ্ত্তিনাথ বৰদলৈ যেতিয়া য'তে আছিল, তাতেই এক্টো আলোড়নৰ সৃষ্টি হৈছিল। সাহিত্যত পোনপটীয়াকৈ নহলেও সাংবাদিকতাৰ জৰিয়তে কামৰূপী গীত-মাত উদ্ধাৰ আৰু সংৰক্ষণৰ বাবে তেওঁ নিজৰ মত প্ৰচাৰ কৰি দেশপ্ৰেমৰ পৰিচয় দিছিল। তেওঁৰ ৰচিত আৰু প্ৰকাশিত পুথি আঠখন, যেনে, 'সুৰ-সংগ্ৰহ', 'অসমীয়া সুৰ পৰিচয়' "জাগৰণী" "কামৰূপীয় সঙ্গীত' 'বাসন্তীৰ অভিষেক', 'লুইতকোঁৱৰ', 'সুৰ-বিজয়' আৰু "মেঘাৱলী"। ইয়াৰ প্ৰথম তিনিখন দুষ্প্ৰাপ্য হৈ পৰিছে। অসম সাহিত্য সভাৰ সপ্তদশ অধিবেশনত তেওঁ সঙ্গীত শাখাৰ সভাপতিত্ব কৰিছিল। তেওঁৰ অভিভাষণত প্ৰকাশ পোৱা চিন্তাৰ মৌলিকত্ব সকলোৱে স্বীকাৰ কৰিছিল। পুথি কেইখন পাঠকক পোৱাৰ ব্যৱস্থা কৰা সমীচীন হ'ব।

"কামৰূপীয় সঙ্গীত" বোলা পুথিখন ১৯৩৭ চনৰ ডিচেম্বৰত প্ৰকাশ হৈছিল। ইয়াত উপস্থাপন কৰা বহুত তত্ত্ব আৰু তথ্যই সেই সময়ৰ চিন্তা জগতত বাককৈয়ে ঢৌ তুলিছিল। তেওঁৰ মূল বক্তব্য আছিল এই যে নানা সঙ্গীত শাস্ত্ৰত উল্লিখিত গন্ধৰ্ব-কিন্নৰ-যক্ষ-বিদ্যাধৰৰ অধ্যুষিত দেশখন আছিল পুৰণি কামৰূপ ৰাজ্য, আৰু সেই ৰাজ্যত যি নৃত্য-গীতৰ প্ৰচলন আছিল, সি প্ৰাক্-আৰ্য-সঙ্গীত। সেই কলাবিদ্যা "ভাব-ভাষা, ঠাট, লয়, মীড়-মূৰ্চ্ছনা, বাঁট, গমক আদি সকলো বিষয়তে স্বয়ংসম্পূৰ্ণ আছিল"। শ্যাম, আনাম, ব্ৰহ্ম, যৱদ্বীপ আদি প্ৰাচ্য দেশসমূহত ইয়াৰ প্ৰচলন আছিল। তেওঁ এই ঠাইবোৰৰ প্ৰাচীন গীত-মাতত এই সমন্বয়ৰ সূত্ৰ বিচাৰি পাইছিল। তেওঁ এঠাইত কৈছে—"শ্যাম, আনাম, ব্ৰহ্ম, যৱদ্বীপ আদি প্ৰাচ্যৰ সভ্য দেশসমূহত প্ৰচলিত নিজস্ব ৰাগ-সুৰৰ ঠাটৰ লগত কামৰূপৰ বিয়াহৰ নাম, সুকনান্নীৰ ৰাগ আৰু 'বাৰেমহীয়া' গীতৰ সুৰৰ বহুখিনি সাদৃশ্য আছে। ...বৰ্তমান কামৰূপ আৰু দৰং জিলাত যি বৰঢোল আৰু মুখা শিঙা-নৃত্য চলি আছে, ঠিক তেনেকুৱা ঢোল আৰু মুখা-শিঙা নৃত্যবাজনা আৰু বালী দ্বীপত এতিয়াও প্ৰচলিত। যি কামৰূপী পুতলা নাচৰ প্ৰচলন সনাতন কালৰ পৰাই কামৰূপত আছিল ঠিক তেনেকুৱা পুতলা নাচ এতিয়াও যাভা দ্বীপত চলি আছে।"

বৰদলৈদেৱৰ মতে এনধৰণৰ আৰ্য সঙ্গীতে আমাৰ দেশ ঢৌৱাই দিছিল যদিও তাৰ কিছুমান খুলিত আমাৰ প্ৰাচীন কামৰূপীয় সঙ্গীতৰ অৱশেষ থাকি

গ'ল। সেয়েহে আমাৰ নিজস্ব ৰাগ-ৰাগিনীৰ সৰহখিনিয়েই বিয়াহ-সুকনামী, তুৰ্গাবৰী, বাৰমাহীত (যেনে ৰাম বাৰমাহী, সীতা বাৰমাহী, শান্তি বাৰমাহী ইত্যাদিত) ৰৈ আছে।

তেওঁ আৰু কয় যে বড়ো সুৰভাণ্ডই পুৰণি কামৰূপী গীত-মাতৰ প্ৰচীনতম উৎস, বড়ো ব্ৰাগৰ্হই ব্ৰীগৰ্হনীয়েই আমাৰ বুঢ়া গোসাঁই বুঢ়ী গোসাঁনী বা মহ'দেউ-পাৰ্বতী; মহাচীনেই সুৰলোক; কালিকাপুৰাণৰ নাটশৈল আজি-কালিৰ ডফলা পৰ্বতৰ নামনি অঞ্চল (ঐশান্যাম নাটকশৈলে শঙ্কৰস্য মহাশ্ৰমঃ: তস্মান্নাটক নাম্নাসৌ শৈলৰাজঃ প্ৰগীয়তে), ব্ৰাগৰ্হইব্ৰীগৰ্হনীক শিৱ-পাৰ্বতীলৈ পৰিবৰ্তন কৰি লোৱাৰ দৰে একে নীতিকে মানি ভীষ্মক-বাণ নৰক আদি প্ৰবল পৰাক্ৰান্ত তুৰাণীয় অনা-আৰ্য বড়ো ৰজাসকলক হিন্দু সমাজৰ ক্ষত্ৰিয় কুল-সম্ভূত কৰি লোৱা হ'ল; কালি, দবা, বৰকাঁহ, মৃদং, কছাৰী বাঁহী, বড়ো নৃত্য-সঁজুলি; অসম বা পুৰণি কামৰূপ ৰাজ্য কোনো কালে ভাৰতৰ অন্তৰ্ভুক্ত নাছিল। ইত্যাদি।

কামৰূপীয় ৰাগ, সুৰ, তাল আদিৰ বিশদ ব্যাখ্যা দিয়া আছে ৰৰদলৈৰ 'সুৰ-সংগ্ৰহ' গ্ৰন্থত। 'অসমীয়া সুৰ পৰিচয়' গ্ৰন্থত তেওঁ অসমীয়া তথা কামৰূপীয়া সুৰ আৰু তাল, বাদ্য-যন্ত্ৰ গোটাদিয়েকৰ আভাস দিবলৈ যত্ন কৰিছে। এই কেইখনেই সঙ্গীত পুথি সম্পৰ্কে ৰৰদলৈৰ নিজা মত সম্বলিত আলোচনাৰ পুথি। 'বাসন্তীৰ অভিষেক', 'লুইত কোঁৱৰ', 'সুৰ বিজয়' আৰু 'মেঘাৱলী' – এই চাৰিখন ৰৰদলৈ বিৰচিত নাটক। তেওঁ এইবোৰৰ ৰচনাত তেওঁৰ দুই গুণধৰ পুত্ৰ মুক্তিনাথ শৰ্মা ৰৰদলৈ আৰু হৰিনাথ শৰ্মা ৰৰদলৈৰ সহায় আৰু সহযোগ অকৃপণভাৱে গ্ৰহণ কৰিছিল। কবলৈ গলে তিনি পিতা-পুত্ৰৰ যুটীয়া সাধনাৰ ফল এই চাৰিখন অনন্য-সাধাৰণ অভিনৱ নাটিকা। সেই সময়ৰ সামাজিক পৰিৱেশৰ চিত্ৰ এটি দিবলৈ 'মুকুলেখা' গ্ৰন্থত শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা দেৱে কৈছে 'সেই সময়ত ভাল মানুহৰ ছোৱালীয়ে ৰঙ্গমঞ্চত উঠি নৃত্য-গীত কৰাটো ভাল কাম বুলি বিবেচিত নহৈছিল। তদুপৰি নিৰ্ভাজ অসমীয়া প্ৰাচীন সুৰবোৰৰ কিবা বিশেষ মূল্য আছিল বুলিও তেতিয়াৰ মানুহে ধৰিবলৈ টান পাইছিল।' এনে এটি পৰিস্থিতিৰ সৈতে যুঁজিবলৈ ৰৰদলৈয়ে সঙ্গী হিচাপে লৈছিল নিজৰ পুত্ৰ দুজনক।

বাসন্তীৰ অভিষেক: ইয়াৰ প্ৰথম নাম আছিল 'বসন্তৰ অভিষেক'। চলন্ত প্ৰকাশ হ'বলৈ ওলোৱাত ই 'বাসন্তীৰ অভিষেক' আখ্যা গ্ৰহণ

কৰে। এই নাটকখনিৰ এটা ইতিহাস আছে। তেতিয়া বৰদলৈয়ে যোৰহাটত বৰ্তমান থাটুন প্ৰেছৰ ওচৰৰ এটা ভাৰা-ঘৰত সপৰিয়ালে বাস কৰিছিল। ওচৰৰ ল'ৰা-ছোৱালীবোৰক তেওঁ গীত-বাদ্য শিকাইছিল। তেওঁ 'নামে মন্দাকিনী সৰগৰ পৰা' নামৰ কেদাৰ ৰাগৰ গীতটি আখৰা কৰাইছিল। এদিন যেনো গীতৰ সুৰৰ লহৰত মুখৰিত হৈ থকা আনন্দময় পৰিবেশত কুলি চৰাই এটিয়েও কুউ-কুউকৈ সহযোগ কৰি বসন্তৰ পূৰ্ণ পয়োভৰত সহায় কৰিছিল। তাকে দেখি তেওঁ বৰপুতেক মুক্তিনাথক ক'লে, "বোপাই, 'নামে মন্দাকিনী'য়ে সঁচাকৈয়ে মন্দাকিনী নমাইছে! এই গীতটোকে প্ৰস্তাৱনাত লৈ এখন নাট ৰচনা কৰা যাওক. কি বোলা?" পুতেকেও হয়ভৰ দি দেউতাকৰ কামত হাত উজান দিয়াত 'বাসন্তীৰ অভিষেক' বোলা গীত-প্ৰধান নাটখনৰ সৃষ্টি হ'ল। কুলি, কেতেকী, সেউতী, মালতী, মলয়া আৰু পখিলী ইয়াৰ মাই ভাৱৰীয়া। সকলোৱে মিলি উলাহেৰে বাসন্তী কুঁৱৰীক প্ৰকৃতিৰ সেউজীয়া সিংহাসনত বহুৱাইছে। ডঃ সূৰ্য্যকুমাৰ ভূঞা বিৰচিত 'বসন্ত-মঙ্গল' নামৰ আৱৰ্তনী গীতৰ 'আনন্দৰ ৰাসলীলা জাৱনৰ যমুনা পাৰত' বোলা পংক্তিটোৱে নাটখনৰ মূল ভাব ব্যক্ত কৰিছে।

তাৰে দুবছৰ পাছত 'লুইত কোঁৱৰ' নাট (১৯৩১ চনত) প্ৰকাশ হয়। ইয়াতো ভাৱৰীয়াসকলৰ নামেই নাটৰ বিষয়-বস্তুৰ ইঙ্গিত দিয়ে। লুইত কোঁৱৰ, পগোৰা বতাহ, কুকুৰা বতাহ, মানসী কুঁৱৰী, সোৱণশিৰী, ধনশিৰী, ভৰলী, কপিলী, ভৰলু, চাউলখোৱা, পাগলাদিয়া, বৰটেকেলী আৰু নেতাই ইয়াৰ ভাৱৰীয়া। মানস সৰোবৰৰ তীৰত মানসী কুঁৱৰীয়ে কল্যাণ ৰাগেৰে আৰম্ভ কৰা নান্দীৰ অন্তত কোৱা "সৌ সাগৰে মাতিছে, অনন্তই আহ্বানী গীত গাই মাতিব লাগিছে—আহা"—এনেকুৱা বচনতে নাট আৰম্ভ হৈছে।

'বাসন্তীৰ অভিষেক'ত বড়ো, ভুটিয়ালী, বিয়া নামৰ সুৰ আদিয়ে প্ৰাধান্য লভিছে। 'লুইত কোঁৱৰ'ত মালশ্ৰী, ব্যাং-বৰাহী, দুৰ্গাবৰী, জিকিৰ নামৰ সুৰ আদি থলুৱা ৰাগ-ৰাগিণীয়ে জুৰুৰি দি ধৰিছেহি।

১৯৩৪ চনত প্ৰথম অভিনয় হোৱা 'ৰুক্মিণী-বিজয়' বৰদলৈদেৱৰ শ্ৰেষ্ঠ নাটক। ভাব-ভাষা, উপস্থাপনাৰ কৌশল—কেইফালৰ পৰাই তেতিয়াৰ সমাজত বিশেষ আলোড়নৰ সৃষ্টি কৰিছিল। ইয়াৰ মুখ্য চৰিত্ৰ এখন ৰুক্মিণীৰ পৰিচয়ৰ মুক্তাবলো আদি কৰি গীত-ৰাগবোৰে কামৰূপ ৰজাৰ সভাৰ উদ্যানত

কামৰূপীয়া গীত-ৰাগবোৰৰ লগত যুদ্ধ পাতিলেহি। সংগ্ৰাম চলিল। অন্তত পুৰণি কামৰূপীয়া ৰাগ-ৰাগিণীবোৰৰ ওচৰত আক্ৰমণকাৰীসকলে হাৰ মানিব লগীয়া হ'ল। দুয়ো পক্ষৰ ভিতৰত মিত্ৰতা স্থাপন হ'ল। ফলত পশ্চিমৰ ৰাগ-ৰাগিণীবোৰেও ইয়াত গৌণ স্থান লভি জিৰণি লৈ থাকিবলৈ সুবিধা পালে। এই নাটৰ ভাৱৰীয়া সকল হ'ল—ৰাগ-সম্ৰাট নটৰাজ ভৈৰৱ শ্যাম, আশোৱাৰী, বাৰ্মাগাৰি, অহিৰ, মহুৰ, বড়ো, কৌ, মল্লাৰ, প্ৰমুখ ৰাগসকল আৰু ভিন্নৰ ৰাগসকল; আৰু নাৰী ভাৱৰীয়া সকল হ'ল ভৈৰৱী, জয়ন্তী, দেওধনী, কিন্নৰীসকল প্ৰমুখ্যে ৰাগিণীসমূহ।

এই নাটত কামৰূপী ভটিয়ালী, সুকনাবায়ণী, অহিৰ, মিশ্ৰ ভাটিয়ালী, বড়ো, কৌ, দুৰ্গাবৰী, মালশ্ৰী আদি ৰাগবোৰ মূৰ্তিমন্ত হৈ বিদেশী ৰাগ-বোৰৰ লগত যুদ্ধত অৱতীৰ্ণ হৈছে। মহাৰাজ ভৈৰৱক যুদ্ধ সম্পৰ্কে কটকী মাহুৰে এঠাইত কৈছে—"প্ৰভু,····· বৰ্তমানে কাশ্মীৰ, গুৰ্জৰ, মদ্ৰ, কলিঙ্গ, বৃন্দাবন, হস্তিনাপুৰৰ এটা সম্মিলিত বাহিনীয়ে কৰতোৱা সীমান্তৰ সিপাৰে ছাউনী পাতিছেহি আৰু কামৰূপী ৰাগ-ৰাগিণীক যুঁজিবলৈ আহ্বান কৰিছে। আমাৰ সীমান্ত-ৰখীয়া ৰাগ সেনায়ো কোঠ পাতি শত্ৰুৰ সন্মুখত থিয় হৈছেহি।"

বড়ো কৌৱে দিয়া ৰাতৰি মতে বিদেশী ৰাগবোৰক কামৰূপী ৰাগ-ৰাবে মালিতা ভোল মাৰি সোপাকে বান্ধি পেলালে। যুদ্ধৰ অন্তত হোৱা সন্ধি মতে বিদেশী ৰাগ-ৰাগিণীবোৰক চৰ্ত সাপেক্ষে অসমত মিলি-জুলি থাকিবলৈ দিয়া হয়। এয়ে 'সুৰ-বিজয়'। সামৰণিত দুৰ্গাবৰী মালশ্ৰী মধ্যমাৰ ৰাগক প্ৰমুখ ৰাগসকলে গাইছে—

"এহে, পাতিলা সুৰৰ পুৰী কামৰূপ মাজে।
অমৰণ ৰাগে-সুৰে শোভে নৱ সাজে।।"

এনেদৰে 'সুৰবিজয়' নাটকৰ অভিনয়ে সমগ্ৰ অসমত উলাহ-আনন্দৰ উখল-মাখল লগাইছিল। পল চাহাবৰ দৰে লোকেও বিশেষভাৱে এই নাটৰ প্ৰচাৰ চলাবলৈ পৰামৰ্শ দিছিল। সুৰ বিজয় ভাওটোৰ বিষয়ে সেই সময়ত সপক্ষে আৰু বিপক্ষে বহলাই আলোচনা চলিছিল।

সংগীতাচাৰ্য বৰদলৈৰ শেষ অৱদান তেঁওৰ পুত্ৰ মুক্তিনাথ বৰদলৈৰে সৈতে ৰচনা কৰা 'মেঘদূতী' নাটক। ইং ১৯৬৫ চনত ৰচিত আৰু

১৯৫২ চনত প্ৰকাশিত। এই নাটত জয়ন্তীয়া ৰাজ্যৰ কোঁৱৰৰ লগত সাগৰ-ৰাজ ৰত্নাকৰৰ জীয়েকৰ বিয়া পতা হৈছে। সেই বিয়াৰ ঘাই সাৰথি আৰু ঘটক মহাবাহু ব্ৰহ্মপুত্ৰ নদ। অনাবৃষ্টিত ক্লিষ্ট জয়ন্তীয়া দেশৰ ৰজা জয়ন্তেশ্বৰে সাগৰ কন্যাৰ লগত নিজ কোঁৱৰৰ বিয়া পাতি দেশত মেঘাৱলী আৰু সুবৃষ্টিৰ সৃষ্টি কৰিছিল। ইয়াতো ভ'ৰবীয়াসকলৰ মুনিহ চৰিত্ৰৰ ভিতৰত আছে—ব্ৰহ্মপুত্ৰ, জয়ন্তৰাজ, সুন্দৰ, ৰত্নাকৰ, জীমূতবাহন, মিহিৰ, চালুকী, বিমৰ্দক আৰু সমুদ্ৰৰ প্ৰহৰীসকল ; আৰু তিৰোতা আছে—মেঘাৱলী, বাসন্তী, নিদাঘী, প্ৰবৃষা, শাৰদা বাৰুণী আৰু ৰত্নাকৰৰ লিগিৰীসকল, জয়ন্তাৰ কিন্নৰী-সকল আৰু মৰুৎ কন্যাসকল। বৰদলৈৰ এইখন নাটতেই গীতততকৈ বচন সৰহ।

বৰদলৈৰ চাৰিওখন নাটৰ সমালোচনা কৰি ১/১০/৪৭ তাৰিখে শৰৎচন্দ্ৰ গোস্বামীদেৱে কৈছিল : 'বৰদলৈৰ চাৰিওখন নাটিকাৰ সাদৃশ্য আছে, আৰু উদ্দেশ্যও একে। নিৰ্দোষ নৃত্য-গীত-চৰ্চা আৰু তাৰ মাজেদি সোণালী অসমৰ প্ৰতি মেহৰ বিকাশ—এই দুই উদ্দেশ্য নাটিকা কেইখনৰপৰা ভালদৰে সিদ্ধ হৈছে।"

শ্ৰীত্ৰৈলোক্যনাথ গোস্বামীদেৱৰ মতে—"বৰদলৈ পিতা-পুত্ৰৰ দ্বাৰা ৰচিত নাটিকা কেইখন অকল কাব্যিকতাৰ অলৌকিক বাহক হৈয়েই থকা নাই, আটাইকেইখনকে মঞ্চোপযোগী কৰি ৰচনা কৰা হৈছে।……… প্ৰত্যেকখন নাটিকাৰ মাজেদিয়ে এক শান্ত মাধুৰ্য মূৰ্ত হৈ উঠিছে। ৰাগ-ৰাগিণীবোৰৰ বৈচিত্ৰ্য বিশেষভাৱে লক্ষণীয়।"

উল্লেখযোগ্য কথা এই যে গীতৰ প্ৰাধান্য দি গীতিনাটিকা সৃষ্টিৰ দ্বাৰা বিষয়-বস্তু ৰমণীয়ভাৱে উপস্থাপন কৰাই আছিল চাৰিওখন নাটৰ প্ৰধান লক্ষ্য। চৰিত্ৰ-সৃষ্টি ইয়াত গৌণ হৈ আছে। প্ৰকৃতিৰ কাম্য কানন, সঙ্গীতৰ লীলা-ভূমি প্ৰাচীন কামৰূপ ৰাজ্যত প্ৰকৃতিয়ে কেনেকৈ জীৱন্ত ৰূপ লৈ বিভিন্ন ভাৱত খেলা দেখুৱাইছিল, সঙ্গীত-নাটিকা কেইখনৰ জৰিয়তে সঙ্গীতা-চাৰ্য বৰদলৈয়ে তাকে প্ৰকট কৰিবলৈ যত্ন কৰিছিল। কামৰূপীয় সঙ্গীতৰ মৌলিকত্ব আৰু শ্ৰেষ্ঠত্ব প্ৰতিপাদন সঙ্গীতাচাৰ্য বৰদলৈৰ জীৱন-ব্যাপী সাধনা আছিল। এইজনা মহৎ লোকৰ জীৱনজোৰা সাধনাৰ ফলত অসমীয়া সঙ্গীতে পোনতে সৰ্ব-ভাৰতীয় সঙ্গীতৰ চ'ৰাত এখন সুকীয়া আসন দাবী কৰিবলৈ সমৰ্থ হৈছিল।

"কীৰ্তিৰ্যস্য স জীৱতি।"

ভবানন্দ দত্ত

"জন্মিয়েই মৰি যায় কোনো কোনো জন
দু-চাৰি বছৰ থাকে কাৰোবা জীৱন।"

বছৰৰ লেখেৰে ভবানন্দ দত্তৰ জীৱনো তেনেই চুটি। বিপ্লৱী মনীষী ভবানন্দ দত্ত জীয়াই আছিল মাত্ৰ দুকুৰি এক বছৰ: জন্ম ১৯১৮ চন, মৃত্যু ১৯৫৯ চনৰ ৩ আগষ্ট। কিন্তু জীয়াই থকা সেই কালছোৱাৰ ভিতৰতে তেওঁ বন্ধু-বান্ধৱ, ইষ্ট-মিত্ৰ, জ্ঞাতি-স্বজন আৰু পণ্ডিত-মণ্ডলীৰ মানসত চমক-লগোৱা সহজাত প্ৰতিভাৰে যি আলোড়নৰ সৃষ্টি কৰি গ'ল সি কাল-সমুদ্ৰত বহু দিনলৈ ঢৌ তুলি থাকিব।

ভবানন্দ দত্ত আছিল কামৰূপ জিলাৰ বজালী অঞ্চলৰ [illegible] গাঁৱৰ এটি মধ্যবিত্ত পৰিয়ালৰ ল'ৰা। তেওঁৰ মাতৃৰ নাম মনোমোহিনী দত্ত আৰু পিতাৰ নাম সৰ্বানন্দ দত্ত। তেওঁ কিছু দিনৰ বাবে শিক্ষকতা কৰি যোৰহাটত আছিল আৰু সেই সময়তে ভবানন্দৰ জন্ম হয়। ভবানন্দ দত্তৰ চাৰিটি ককাই-ভাই আৰু দুজনী ভনীয়েক: ড° অক্ষয়ানন্দ দত্ত আৰু অধ্যাপক কৰুণানন্দ দত্ত—এই দুই ককায়েক; জীৱানন্দ দত্ত আৰু মহানন্দ দত্ত—এই দুই ভায়েক আৰু ৰজনী আৰু দেৱজানী নামে দুজনী ভনীয়েক। সৰুবেপৰা তেওঁ গাঁৱৰ পঢ়াশালিতে পঢ়ি মাক-বাপেকৰ যত্নতে লেখা-পঢ়া শিকিছিল। স্থানীয় চৌখুটি মধ্য ইংৰাজী স্কুলত শিক্ষা আৰম্ভ কৰি তেওঁ বজালী উচ্চ ইংৰাজী স্কুলৰপৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়—১৯৩৬ চনত। এই পৰীক্ষাত তেওঁ অসমীয়াত লেটাৰ পাইছিল। ১৯৪০ চনত তেওঁ গুৱাহাটী কটন কলেজৰপৰা দৰ্শনত প্ৰথম স্থান অধিকাৰ কৰি বি.এ. পাছ কৰে; ১৯৪৩ চনত প্ৰাইভেটকৈ পৰীক্ষা দি দৰ্শনত পুনঃ প্ৰথম শ্ৰেণীত প্ৰথম স্থান লৈ এম.এ মহলাত উঠে। এম.এ পাছ কৰি [illegible] তেওঁ নতুনকৈ আৰম্ভ হোৱা নলবাৰী কলেজত অধ্যাপনা আৰম্ভ কৰে। ১৯৪৪ চনত তেতিয়াৰ চৰকাৰে তেওঁৰ প্ৰতিভাৰ স্বীকৃতি দি শিক্ষা মনোবিজ্ঞানৰ উচ্চ-

তৰ শিক্ষা লাভৰ কাৰণে চৰকাৰী বৃত্তি দান কৰি বিলাতলৈ পঠিয়ায়। তাত তেওঁ দুবছৰ কাল থাকে আৰু এই কালছোৱাৰ ভিতৰতে নানা সভা-সমিতিত যোগদান কৰি কৃতিত্বেৰে অসমৰ আৰু ভাৰতৰ প্ৰতিনিধিত্ব কৰে।

দত্ত সৰু কালৰেপৰা বিপ্লৱী মনোবৃত্তিৰ লোক আছিল। জীৱনত তেওঁ মাৰ্ক্সীয় দৰ্শন সমৰ্থন কৰি চলিছিল। প্ৰাগত বহা এখন আন্তৰ্জাতিক আলোচনা চক্ৰত ভাৰত চৰকাৰৰ প্ৰতিনিধি হিচাপে নিৰ্ব্বাচিত হব নোৱাৰি তেওঁ স্বকীয় বিদ্যাবুদ্ধিৰ গুণত গা-ভৰ্মীয়াকৈ বিলাতৰপৰা গৈ সেই আলোচনা চক্ৰৰ এজন মুখ্য বক্তা হৈ সকলোকে চমক লগাইছিল। তাৰে ফল স্বৰূপে তেওঁক তেতিয়াৰ ভাৰতৰ হাই কমিছনাৰ ভি. কে -মেননে মাৰ্ক্সপন্থী লোক বুলি সন্দেহ কৰি অসমলৈ ঘূৰাই পঠায়। উক্ত ভি আহি তেওঁ কটন কলেজত অধ্যাপনা আৰম্ভ কৰে। তাৰে কিছুদিন পাছতে তেওঁৰ অসাধাৰণ মেধা আৰু কৰ্মশক্তিৰ উমান পাই তদানীন্তন কালৰ উপাচাৰ্য পণ্ডিত কৃষ্ণকান্ত সন্দিকৈয়ে তেওঁক গুৱাহাটী বিশ্ববিদ্যালয়ত দৰ্শনৰ অধ্যাপক নিযুক্ত কৰে। মৃত্যুৰ সময়লৈকে তেওঁ এই অধ্যাপনাতে নিৰত আছিল। এয়ে ভৱানন্দ দত্তৰ শিক্ষা-জীৱনৰ এটি থূলমূল আভাস। এতিয়া এই অসাধাৰণ মেধা আৰু প্ৰতিভাসম্পন্ন লোকজনৰ জীৱনৰ গোটাচেৰেক বিশিষ্ট গুণ আৰু সাহিত্যাদিলৈ তেওঁ দি যোৱা অৱিহণাৰ বিষয়ে কিঞ্চিৎ কহিয়াই চোৱা যাওক।

অসাধাৰণ স্মৃতি-শক্তি আৰু প্ৰতিভা

যি মূলা বাঢ়ে তাৰ দুপাততে চিন। ভৱানন্দ দত্তৰো সেই চিনে তেওঁৰ জীৱনৰ দুপতীয়াতে দেখা দিছিল। হাইস্কুলত পঢ়া কালত এবাৰ শিক্ষা বিভাগৰ ডাইৰেক্টৰ জি. এ স্মল চাহাব স্কুল চাবলৈ গৈছিল। ছাত্ৰসকলৰ স্মৃতি-শক্তিৰ পৰীক্ষা চাবৰ কাৰণে সেইদিনা কিবা এটা কৌতুহল ওপজাত তেওঁ জেনীৰ "ওৱেষ্ট উইণ্ডৰ"ৰ দীঘল দুটা স্তৱক স্কুলৰ চোকা চোকা ছাত্ৰবোৰক পঢ়ি শুনালে। এবাৰ নহয় তেওঁ দুবাৰ পঢ়িলে। হেডমাষ্টৰকো পুনৰ এবাৰ পঢ়ি শুনাবলৈ দিলে। ইয়াৰ পাছত ছাত্ৰসকলক প্ৰত্যেককে এবাৰকৈ মন দি পঢ়ি চাবলৈও দিলে। তাৰ পাছত মুখস্থ লিখিবলৈ দিয়াত ভৱানন্দ দত্তই দুয়োটা স্তৱক নিভুলকৈ লিখি দেখুৱালে। তাকে স্মল চাহাব আচৰিত হ'ল আৰু বজৰ পিঠিত চপৰিয়াই তেতিয়াই কৈছিল

ম্যাহি তেওঁক দহ টকা পুৰস্কাৰ দিলে আৰু পিছ দিনাখন এখন "অক্সফৰ্ড ডিক্সনাৰী" উপহাৰ দিলে।

তাৰ পাছত কলেজীয়া জীৱনৰ কথা। আই. এ.ত তেওঁৰ সংস্কৃত আছিল। শ্ৰেণীত অধ্যাপক লক্ষ্মীনাৰায়ণ চট্টোপাধ্যায়ে ভট্টিকাব্যৰ এটা শ্লোক মাত্তি তাৰ বিতোপন ব্যাখ্যা-বিশ্লেষণ দি তাত থকা ব্যাকৰণ বুজাবলৈ পাণিনিৰ ব্যাকৰণৰ সূত্ৰৰ আৰম্ভণিৰ এটা বা দুটা শব্দ মতাৰ লগে লগে ভৱানন্দই বাকীছোৱা গাই দিয়ে। আকৌ সমাস্তৰাল বচন পাবলৈ বুলি কালিদাসৰ "ৰঘুবংশম্" কাব্যৰ 'মাতঙ্গনক্ৰৈঃ' বোলাৰ লগে লগে ভৱানন্দই কয় 'সহসোৎপতদ্ভিঃ, দ্বিধাভিন্নান্ পশ্য সমুদ্ৰফেনান্' ইত্যাদি। প্ৰসঙ্গক্ৰমে উল্লেখ কৰা যায় যে এই লেখকো দত্তৰ সহাধ্যায়ী বন্ধু আছিল। আমি সহ-পাঠীসকলে দত্তৰ এনেবোৰ কাৰ্য্য দেখি হতবাক হৈছিলোঁ : ভাবিছিলোঁ এইবোৰ ল'ৰাইনো ক'ত পাণিনি-ৰঘুবংশম্ পঢ়িবলৈ পাইছিল? পূৰ্বজন্মৰ জ্ঞান নেকি? পিছতহে গম পাইছিলোঁ যে কামৰূপৰ কিছুমান গাঁৱৰ ল'ৰাই তলে তলে ওচৰৰ সংস্কৃত টোলতো পঢ়িছিল! দত্তয়ো তাকে কৰিছিল।

ভৱানন্দৰ বিশেষত্ব আছিল এই যে তেওঁ শ্ৰেণীলৈ কাচিৎহে হাতত কিতাপ নিছিল। বস্তুতঃ বহুত পাঠ্যপুথি তেওঁ কিনাই নাছিল বা কিনাৰ ব্যৱস্থা কৰিব পৰা নাছিল। সহপাঠীসকলৰপৰা নি তেওঁ এবাৰমান কিতাপ-খন পঢ়িব পাৰিলে সেয়ে যথেষ্ট আছিল। এইখিনিতে উল্লেখ কৰা যায় যে সেই সময়ত দুই বিধৰ ছাত্ৰই "ক্লাছলৈ" কিতাপ নিনিছিল : যিসকল চৌখিন আৰু ধনাঢ্য পৰিয়ালৰ ল'ৰা আৰু যিসকলৰ কিতাপ কিনিবলৈ অৱস্থাই নুজুৰিছিল—সেইসকলে।

আই. এ. শ্ৰেণীৰ তিনিমহীয়া পৰীক্ষাত এবাৰ এটা মজাৰ কথা হৈছিল। ভৱানন্দই পৰীক্ষাগাৰত সোমাই দেখে বহুত প্ৰশ্ন তেওঁৰ বাবে তেনেই আচ-হুৱা। সেইবোৰৰ মূল কিতাপৰ লগত তেওঁৰ তেতিয়াও সাক্ষাৎ হোৱা নাছিল। তেওঁ ভাবিলে নপঢ়া বিষয়ে মিছাতে মাত মাতি ভণ্ডুৱা হোৱা-তকৈ বৰং নিস্তব্ধ থকাই ভাল। অলপ পৰ বৈ ওলাই আহিব খুজি জানিব পাৰিলে যে এঘণ্টা পাৰ নোহোৱাকৈ বাহিৰলৈ যাবলৈ দিয়া নিষেধ। সেইদিনা আছিল ইংৰাজীৰ পৰীক্ষা। তেওঁৰ Paradise Lost Book II পঢ়া আছিল। তাকেই স্মৃতিৰপৰা তেওঁ লিখিবলৈ আৰম্ভ কৰি দিলে—High on a thr-

one of royal state ইত্যাদি, আৰু প্ৰায় এঘণ্টা লিখি বহী পূৰ কৰি জমাই আছিল। পৰীক্ষাৰ ফলাফল দিবলৈ গৈ অধ্যাপক পি. চি. ৰায়ে ভৱানন্দক মুখস্থ গাবলৈ লগাই দিলে। ভৱানন্দই যেতিয়া অবিৰাম অনৰ্গল গাবলৈ ধৰিলে, অধ্যাপক পি. চি. ৰায়ে তবধ মানিলে আৰু ভূৰি ভূৰি প্ৰশংসা কৰি শ্ৰেণী ছুটী দিলে। ইয়াতে প্ৰাসঙ্গিকভাৱে উল্লেখ কৰা যায় সেই বছৰৰ ছাত্ৰসমাজত দুজন তেনে বিস্ময়কৰ স্মৃতিশক্তিসম্পন্ন ছাত্ৰ আছিল : এজন ভৱানন্দ দত্ত আৰু আনজন অম্বৰপ্ৰসাদ লাহিৰি। অম্বৰেও কবিতাকুঞ্জ উধৰপৰা মুখলৈ মুখস্থ মাতি বা বুৰঞ্জীৰ পাঠ আওৰাই শ্ৰোতাক মুগ্ধ কৰিব পাৰিছিল। দত্তৰো ৰবীন্দ্ৰ-কাব্যপ্ৰীতি ছাত্ৰকালৰপৰাই স্পষ্ট হৈ পৰিছিল। কবলৈ গলে প্ৰায় ৰবীন্দ্ৰ কাব্য স্মৃতিৰ দখলত ৰাখিব পৰা অসমীয়া লোক ভৱানন্দ দত্তৰ বাহিৰে দ্বিতীয় এজন আজিকোপতি ওলাইছে নে নাই সন্দেহৰ কথা। তেওঁৰ এই অনুৰাগ কলেজীয়া জীৱনতেই ধৰা পৰিছিল।

সাহিত্য চৰ্চাৰ আৰম্ভণি

ড° প্ৰফুল্লদত্ত গোস্বামী, অধ্যক্ষ মহেশচন্দ্ৰ দেৱগোস্বামী, চক্ৰেশ্বৰ ভট্টাচাৰ্য, ড° কালীনাথ শৰ্মা, ডঃ প্ৰসন্ন গোস্বামী, ডাঃ মথুৰানাথ ভট্টাচাৰ্য্য, অতুলচন্দ্ৰ বৰুৱা, দুলাল বৰপুজাৰী, ৰমেশ চন্দ্ৰ শৰ্মা, সুৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, ভোলানাথ হাজৰিকা, শৰৎ চন্দ্ৰ বৰা আদিসকল তেওঁৰ সহপাঠী বন্ধু আছিল। ডঃ প্ৰসন্ন গোস্বামী, ডঃ কালীনাথ শৰ্মা আৰু ডাঃ মথুৰানাথ ভট্টাচাৰ্য্য বিজ্ঞানৰ কৃতী ছাত্ৰ আছিল আৰু তেওঁলোকে সাহিত্যালোচনাৰ সভা-সমিতিত বৰকৈ ভাগ লবলৈ সুবিধা নাপাইছিল। বাকীসকলৰ লগতে তেওঁলোকৰ অনুগামী সমকালীন সহাধ্যায়ী চৈয়দ আব্দুল মালিক, সুৰেন্দ্ৰ মোহন চৌধুৰী, নবীন চন্দ্ৰ গোস্বামী, উপেন্দ্ৰ নাথ শইকীয়া আদি কলেজীয়া বন্ধুসকলে লগ হৈ ১৯৩৮ চনতে 'প্ৰগতি সমিতি' নাম দি এটা সাহিত্য চক্ৰ গঢ়ি তাত প্ৰতি দেওবাৰে আবেলি সাহিত্য চৰ্চা কৰাৰ ব্যৱস্থা কৰিছিল। এই চক্ৰৰ মূল আশ্ৰয় বা লাই খুঁটা আছিল বিহগী কবি ৰঘুনাথ চৌধাৰী। তাত প্ৰত্যেকে একোটা নিৰ্দিষ্ট বিষয়ে লিখিবলৈ বা আলচ কৰিবলৈ সাজু লয়। যিদিনা যি বিষয়ৰ আলোচনা হব তাক আগতে সকলোকে জনাই দিয়া হয়। এজনে ৰচনা পাঢ়ে, বাকীসকলে শুনে আৰু আলোচনাত ভাগ লয়। তেনে আলো-

চনাই ৰচনাৰ উন্নতি সাধনত যথেষ্ট সহায় কৰে। আলোচনাত নতুন নতুন ভাবৰ ন-ন তথ্য উত্থাপিত হয়। পিছত সেইমতে ৰচনা পুনঃ নকৈ লিখি উলিওৱাটোৱে নিয়ম। প্ৰগতি সমিতিয়ে তেনে এঘাৰখন ৰচনা থূপ খুৱাই 'চিন্তাধাৰা' নামেৰে এখন পুথি ছপাই উলিয়ায়। ই ১৯৩৮-৩৯ চনৰ কথা। 'চিন্তাধাৰা'ত ভবানন্দ দত্তৰ বেজবৰুৱাৰ কদমকলি' শিতানৰ আলোচনা সন্নিৱিষ্ট কৰা হৈছিল। তাতো তেওঁ যথাস্থানত বিশ্বকবি ৰবীন্দ্ৰনাথৰ উদ্ধৃতি দি আলোচ্য বিষয় সৰস কৰি তুলিছিল। দত্তৰ ছাত্ৰকালৰ ৰচনাৰ নমুনা স্বৰূপে উক্ত আলোচনাটিৰ শেষৰ দুশাৰীমান কথা তুলি দিয়া হ'ল।

'উপসংহাৰত ইয়াকে কব পাৰি যে বেজবৰুৱাই কবিতাৰ ৰস ভালদৰে উপলব্ধি কৰিব পাৰিছিল। তেওঁৰ মতে কবিতা হৈছে—

'প্ৰকৃতিৰ কামনাৰ সৌন্দৰ্য্য ৰঞ্জিত
কবিতা কল্পনাময়ী কবিৰ বাঞ্ছিত।"

বেজবৰুৱাৰ 'ধনবৰ আৰু ৰতন',' 'ৰতনীৰ বিলাপ' আদি কেইটামান কবিতা অসমীয়াৰ গীতি সাহিত্যত লেখত লবলগীয়া দান। এই কবিতা কেইটাত অসমীয়া জাতীয় বিশিষ্টতায়ে প্ৰকাশ পালেও তাত বিশ্বজনীনতাও সোমাই আছে। মুঠতে ধৰিবলৈ গলে বেজবৰুৱাৰ কবিতাবোৰেদি তেওঁৰ প্ৰতিভাৰ এটা ফাল প্ৰকাশ পাইছে, আৰু সেইদেখিয়ে তাৰ আলোচনাৰ বিশেষ প্ৰয়োজন আছে।'

'চিন্তাধাৰা'ৰ প্ৰবন্ধলিখকসকল আছিল—প্ৰফুল্লদত্ত গোস্বামী (প্ৰগতি সমিতিৰ সম্পাদক), অতুলচন্দ্ৰ বৰুৱা (প্ৰগতি সমিতিৰ সহকাৰী সম্পাদক), মহেশ চন্দ্ৰ দেৱগোস্বামী, চক্ৰেশ্বৰ ভট্টাচাৰ্য্য, দুলাল বৰপূজাৰী, ভবানন্দ দত্ত আৰু সুৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য। শকলনখনত ড° সূৰ্য্যকুমাৰ ভূঞা দেৱেও 'সাহিত্যৰ মূলকথা' বুলি এটি আলোচনামূলক প্ৰবন্ধ সন্নিৱিষ্ট কৰিবলৈ দি ছাত্ৰসকলক উৎসাহিত কৰিছিল।' ভবানন্দ দত্ত এই সমিতিৰ এজন মুখ্য কৰ্মকৰ্ত্তা আছিল।

বিয়া আৰু সাংসাৰিক জীৱন :

১৯৪১ চনত ৩১ বছৰ বয়সত ভবানন্দ দত্তৰ বিয়া হয়—অধ্যাপিকা নীলিমা দত্তৰ লগত। বহুত দিনলৈকে বিয়াৰ কথা ভবাই নাছিল, পিছে কিবা কাৰণত হঠাৎ মনত এটা সংঘাত উপস্থিত হোৱাত তাহানিৰ

প্ৰগতি সমিতিৰ ন্যস্ত [illegible] আত্মা বিৰাগী কবিৰ মৰ্মস্থলত তেওঁ এই বিয়া নিজে পাতে। নীলিমা-ভৱানন্দৰ বৈবাহিক জীৱন মধুময় আছিল, কিন্তু মহাকালৰ সেইটো সহ্য নহ'ল। বিয়াৰ দহ বছৰ পূৰ [illegible] দুটি আমাডিমা পুত্ৰ সন্তান এৰি ভৱানন্দ দত্তই [illegible] যৌৱনত অপ্ৰত্যাশিতভাৱে ইহ সংসাৰ ত্যাগ কৰে।

এইটো স্বীকাৰ কৰিবই লাগিব যে আধুনিক সতী বেউলাই মৃত স্বামী লখীন্দৰৰ অস্থি লৈ গৈ দেৱৰ পুৰীত [illegible] জীৱন [illegible] অধ্যাপিকা নীলিমা দত্তৰো তেওঁৰ প্ৰতিভাশালী পতি ভৱানন্দ দত্তৰ বিভিন্ন আলোচনীৰ পাতত বিগত কুৰি-পচিশ বছৰে সিঁচৰতি হৈ থকা প্ৰবন্ধবোৰ গোটাই যথাযথৰূপে শৃংখলাবদ্ধ কৰি পুস্তক আকাৰত ছপোৱাই বিস্মৃতি কালৰ বুকুত তেওঁৰ চিন্ময় সত্তাক পুনঃ প্ৰতিষ্ঠা কৰিলে। দত্তই জীৱনকালত গ্ৰন্থ ৰচনা কৰোঁ বুলি কলম ধৰা নাছিল। তেওঁ প্ৰকাশ্যভাৱেই ঘোষণা কৰিছিল যে বয়স বাঢ়িলে, হাত পুৰঠ হলে, চিন্তাৰ পৰিপক্কতা আহিলেহে মানুহে গ্ৰন্থ ৰচনাত হাত দিব লাগে। তেৱোঁ নিজে তাকেই কৰিব খুজিছিল। এই প্ৰসংগত শ্ৰীমতী দত্তই লিখিছে—'অভিজ্ঞতা পুৰঠ নহলে কম বয়সত কিতাপ লিখা তেখেতে পছন্দ নকৰিছিল। অভিজ্ঞতা পৰিপক্ক হলে দুই-এখন ভাল কিতাপ লিখাৰ কথা তেওঁ মোক প্ৰায়েই কৈ আছিল।' সেই হেতুকে আলোচনীত প্ৰকাশ হোৱা প্ৰবন্ধবোৰ কৰবালৈ গলে আছিল তেওঁৰ কাৰণে হাতৰ খজুৱতী পলোৱা বা মনৰ স্ফূৰ্তি লোৱা বিষয়হে। ড° মহেশ্বৰ নেওগৰ 'শঙ্কৰদেৱ' প্ৰকাশ হোৱাৰ পাছত কিবা এটা দাৰ্শনিক তত্ত্ব সম্পৰ্কে তেওঁৰ (দত্তৰ) আচাৰ্য্য মনোৰঞ্জন শাস্ত্ৰীৰ লগত কাকতত উখল-মাখল লাগিছিল। এদিন বাটত লগ পাই সেইখন কি যুঁজ লাগিছে বুলি [illegible] সোধাত তেওঁ মোক উত্তৰ দিছিল—'আমাৰো অলপ শিং গজিছে নহয়। [illegible] শিং গজিলে [illegible] [illegible] দিন বাঢ়িলো শিং খহাই নয়; আমিও তাকে কৰি চাইছোঁ। [illegible] [illegible] [illegible] [illegible]

[illegible]

(৩) দৃষ্টি আৰু দৰ্শন আৰু (৪) অসমীয়া কবিতাৰ কাহিনী। আৰু এখন আছিল আৰু সেইখনেই হেনো প্ৰথম আৰু দত্তৰ জীৱিতাৱস্থাতে প্ৰকাশ হোৱা পুথি আছিল, নাম—'সাম্যবাদীৰ ঘোষণাপত্ৰ (Communist Manifesto Translated into Assamese)। পুথিখন দুষ্প্ৰাপ্য। হবৰ কথাও, কাৰণ আমি দেখাতে এনে এটা সময় আছিল যেতিয়া কমিউনিষ্টৰ লগত কথা-বতৰা পতাও এটা গুৰুতৰ অপৰাধ বুলি পৰিগণিত হৈছিল।

উপৰোক্ত চাৰিওখন পুথি দত্তৰ মৰণোত্তৰ প্ৰকাশ। অধ্যাপিকা দত্তই বহু যত্নেৰে প্ৰবন্ধবোৰ গোটাই সজাই-পৰাই উদাৰ সাহিত্যামোদী প্ৰসিদ্ধ প্ৰকাশক বিচিত্ৰনাৰায়ণ দত্তবৰুৱা আৰু তেওঁৰ দৰে দুই এগৰাকী 'দুখৰ দিনৰ বন্ধু'ৰ দ্বাৰাই প্ৰকাশ কৰাইছে। পতিব্ৰতা বিদুষী ভাৰ্য্যাৰ পক্ষে ইয়াতকৈ মহৎ কৰ্তব্যসাধন আন একো হব নোৱাৰে।

নিৰ্ভীকতা, স্পষ্টবাদিতা আৰু আলোচ্য বিষয়ে গভীৰ জ্ঞান দত্তৰ ৰচনাৰ বৈশিষ্ট্য আছিল। অসমীয়া সাহিত্যৰ ভঁৰাললৈ অৰিহণা স্বৰূপে আগবঢ়োৱা তেওঁৰ 'ৰবীন্দ্ৰ-প্ৰতিভা', 'দৃষ্টি আৰু দৰ্শন' আৰু ''নতুন কবিতাৰ কাহিনী''য়ে তাৰ সাক্ষী, আৰু এই তিনিখন গ্ৰন্থয়ে ভৱানন্দ দত্তক অসমীয়া সাহিত্যৰ পূজাৰীৰূপে স্বীকৃতি দি থাকিব। তিনিওখন পুথি পঢ়িলে এনে ভাব হয়— সময়, সুযোগ আৰু সুবিধা পোৱা হলে এই লেখকজনে অসমীয়া সাহিত্যৰ ভঁৰাললৈ আৰু কিমান যে বাঞ্ছনীয় ভাবসমৃদ্ধ বস্তু দান কৰিব পাৰিলে-হেঁতেন তিনিওখন পুথিৰে ভিতৰলৈ অলপ ভুমুকিয়াই চালেই অৰিহণাবোৰৰ মূল্য পাঠকৰ চকুত উজ্জল হৈ পৰিব।

'সাম্যবাদৰ ঘোষণাপত্ৰ' নামৰ পুথিখনিৰ কথা প্ৰাসংগিকভাৱে যাৰ উল্লেখ কৰা যায়। দত্তই এইখন তেওঁৰ ছাত্ৰকালতে অনুবাদ কৰিছিল। আগতে আভাস দিয়া হৈছে যে তেওঁ মনেপ্ৰাণে মাৰ্ক্সীয় কমিউনিষ্ট দৰ্শনৰ [illegible] আছিল। সেই নীতি তেওঁৰ ইমানেই মনঃপূত হৈছিল যে এম.এ. পৰীক্ষাত [illegible] [illegible]

ভিতিয়া সমৰ্থন নকৰা সত্ত্বেও (কামউনিষ্টসকলে দ্বিতীয় মহাৰণৰ [illegible] বুলি ঘোষণা কৰিছিল) আন্দোলনত জপিয়াই পৰিছিল। জপিয়াই পৰিছিল যদিও তেওঁ তেওঁৰ দলটোৰ নাম দিছিল—ৰেডিকেলিষ্ট পাৰ্টি। [illegible] পুৰৰ বাহিৰে তেওঁৰ নেতৃত্ব দেহেকেহে সমৰ্থন কৰিছিল আৰু তেওঁ [illegible] তাকে কৰিছিল। পুলিচৰ থানা-ঘৰ জ্বলাই দি, ৰেলৰ দলঙৰ তলত বোমা পুতি, গাঁৱৰ ভিতৰতেই বিচাৰালয়, কাৰাগাৰ আদি স্থাপন কৰি ভৱানন্দই শাসকসকলৰ কাৰণে যি সন্ত্ৰাস আৰু সমস্যাৰ সৃষ্টি কৰিছিল সি অতুলনীয়। ইয়ে দত্তৰ বহুমুখী ব্যক্তিত্ব আৰু স্বাধীন চিন্তাৰ নিদৰ্শন দাঙি ধৰে। কংগ্ৰেছ পতাকাৰ তলতে 'ৰেডিকেলিষ্ট' পাৰ্টি'।

এতিয়া তেওঁৰ 'ৰবীন্দ্ৰ-প্ৰতিভা'লৈ আহোঁ। ৰবীন্দ্ৰ নাথ ভৱানন্দ দত্তৰ আদৰ্শ কবি আছিল। তেওঁৰ কাব্যত দত্তই জগৎ চিন্তা আৰু বিশ্বমানৱৰ কল্যাণ-কামনাৰ সকলোখিনি আৱশ্যকীয় সামগ্ৰী পুঞ্জীভূত হৈ থকা পাইছিল। সেয়েহে এক কথাত ৰবীন্দ্ৰ নাথ আছিল তেওঁৰ মানসদেৱতা। প্ৰতি বছৰে ৰবীন্দ্ৰনাথৰ জন্ম দিৱসত সেই বাবেই তেওঁ ভক্তি-অঞ্জলি যচাৰ বিশ্বকবিৰ কাব্যৰ কোনো এটা দিশৰ বিষয়ে একোটা প্ৰবন্ধ লিখি প্ৰকাশ কৰিছিল। ই আছিল যেন একান্ত ভক্তত এজনৰ গুৰুৰ পূজা সমাপিত কৰা ভাৱ বা অৰ্ঘ্যদান। তেনে ন-খন ৰচনাৰ সমষ্টিয়ে ৰবীন্দ্ৰ-প্ৰতিভা নামলৈ তেওঁৰ সুযোগ্যা সহধৰ্মিণীৰ যত্নত পুথিৰূপে প্ৰকাশ লভিছে। পুথি ৰচনাৰ উদ্দেশ্যে এই প্ৰবন্ধবোৰ লিখা হোৱা নাছিল বাবে তেওঁৰ অকল এইখন পুথিয়েহে নহয়, কোনোখন পুথিয়ে অঙ্গ-সম্পূৰ্ণ গ্ৰন্থ নহয়।

'ৰবীন্দ্ৰ প্ৰতিভা'—ইয়াৰ [illegible] ৰাজনৈতিক [illegible] দিব্যদৃষ্টি আৰু বিশ্ব-মানৱতাৰ ত্ৰিবেণী সংগম' বুলিব [illegible] চাৰিটাই পুথিৰ মুখবন্ধ [illegible] হৈ গৈছে। [illegible]

[illegible]

জীৱন-দৰ্শন আৰু চৰিত্ৰৰ বৈশিষ্ট্য ফুটি ওলায়। ৰবীন্দ্ৰ-কবিতা অধ্যয়ন কৰাৰ লগে লগে ৰবীন্দ্ৰনাথৰ জীৱনৰ চাৰিত্ৰিক বৈশিষ্ট্যবোৰ ভৱানন্দ দত্তই লক্ষ্য নকৰাকৈ থকা নাছিল। 'ৰবীন্দ্ৰ-প্ৰতিভা'ৰ অ'ত ত'ত তেওঁ সেইবোৰৰ আভাস নিদিয়াকৈ থকা নাই। তাকে এঠাইত তেওঁ কৈছে—'প্ৰথম উষাৰ যি স্বৰ্ণোজ্জ্বল অৰুণোদয় তাৰ সৌন্দৰ্য্য আৰু প্ৰকাশৰ আনন্দই তেখেতক এনে সুগভীৰভাৱে মুগ্ধ কৰিছিল যে তেখেতৰ জীৱনৰ সুদীৰ্ঘ আশী বছৰ কালৰ ভিতৰত মাত্ৰ এদিনহে তেখেতে সূৰ্য্যোদয়ৰ পাছত [illegible] পায়, শিশু বাল্য-কালত বহু ৰাতিলৈ যাত্ৰা চোৱাৰ ফলত।' (৪ পৃষ্ঠা)। আন এঠাইত আছে 'ৰবীন্দ্ৰনাথে নিজেই তেখেতৰ মৃত্যু-তিথি পালন কৰাটো হাক দি গৈছে। কাৰণ জীয়াই থকাটো ৰবীন্দ্ৰনাথে একান্তভাৱে ভাল পাইছিল, আৰু মানৱ জন্মৰ যি মহাবিস্ময় আৰু গৌৰৱ তাৰ স্মৃতিহে যেন পৃথিৱীত থাকে; তেখেতৰ একান্ত অবাঞ্ছিত মৃত্যুৰ স্মৃতি যেন দেশবাসীয়ে মনত নাৰাখে, এই আশা তেখেতে কৰি গৈছে।' (পৃঃ ১০)।

ৰবীন্দ্ৰনাথৰ 'গীতাঞ্জলি'ৰ যথাৰ্থ ব্যাখ্যা কৰোঁতেও ভৱানন্দৰ মাৰ্জ্জিত দৰ্শ-নৰ [illegible] বাস্তৱ চিন্তাই দেখা নিদিয়াকৈ থকা নাই। তেওঁ কৈছে— 'আজি [illegible] ৰবীন্দ্ৰনাথৰ শ্ৰেষ্ঠত্ব সম্বন্ধে কাৰো একো কবৰ নাই। তথাপি বহুতৰ ধাৰণা যে কবিতা হিচাপে 'গীতাঞ্জলি'ৰ স্থান সিমান সাৰ্বজনীন নহয় আৰু ই ৰবীন্দ্ৰনাথৰ মূল প্ৰাণসত্তাৰ প্ৰকাশ নহয়, কাৰণ 'গীতাঞ্জলি'ৰ মূল সুৰ আধ্যাত্মিক, কিন্তু ৰবীন্দ্ৰনাথৰ কাব্য-জীৱনৰ প্ৰাণ [illegible] হৈছে [illegible] সংবেদনশীল মানৱ হৃদয়। দ্বিতীয়তে 'গীতাঞ্জলি'ৰ [illegible] তৃতীয়তে ই [illegible] সমাজৰ মানুহৰ [illegible] স্পৰ্শ কৰিব নোৱাৰে।'

[illegible]

বিভাবিত হৈ ৰবীন্দ্ৰনাথ যেতিয়া ব্যাকুল হৈ পৰিছিল সেই সময়তে নূতন ওপৰত্তে দানহ হিচাবে তেওঁৰ ওপৰত বিধিৰ আৰু এটা নিৰ্মম আঘাত পৰিল। মাত্ৰিদীৰ্ঘ কালৰ ভিতৰতে এটাৰ পাছত এটাকৈ তেওঁ কেইটাও প্ৰাণঘাতী শোক পালে। তেওঁৰ প্ৰাণ-প্ৰতিম কনিষ্ঠা কন্যা ৰেণুকাৰ বিয়োগ, দ্বিতীয় পুত্ৰ সমীন্দ্ৰৰ মৃত্যু আৰু শেষত প্ৰিয়তমা পত্নী মৃণালিনী দেৱীৰ পৰলোক প্ৰাপ্তিয়ে তেওঁক জীৱনৰ প্ৰতি মোহ সমূলি নাইকিয়া কৰি তুলিলে। এনে অৱস্থাত পৰি নিজৰ ল'ৰা-ছোৱালীৰ লগতে আনৰ ল'ৰা-ছোৱালীকো শিক্ষা দি থকাৰ কাৰণে হলেও সিহঁতৰ লগতে থাকি মনটো শান্তনাৰ পাৰিব বুলি আশা কৰি তেওঁ আৰম্ভ কৰিলে শান্তিনিকেতন। তাতেই দাৰ্শনিক চিন্তা আৰম্ভ কৰি উপনিষদৰ জ্ঞানমাৰ্গ আৰু নিষ্কাম আদৰ্শত তেওঁৰ মনে শান্তি লভিলে। তাৰেই ফলত সাহিত্যই লাভ কৰিলে— 'নৈবেদ্য' আৰু জগত বিখ্যাত কাব্য 'গীতাঞ্জলি'। 'গীতাঞ্জলি'ৰ ৰচনাৰ এই পটভূমি সকলো পাঠকে জনা উচিত। এই 'গীতাঞ্জলি'ৰ গূঢ়াৰ্থ বিশ্লেষণ কৰি ভবানন্দই কৈছে—অন্তৰ বৈষ্ণৱ সাহিত্যৰ যি একান্ত আত্ম-নিবেদন আৰু আত্মপাহৰা সুৰ, সেই সুৰ 'গীতাঞ্জলি'ৰ মৰ্ম। [illegible] নিজৰ স্বাৰ্থময় অহংভাবৰ আৱৰণ কাটি প্ৰাণত ওপজা সৰ্বব্যাপী সত্তাৰ আত্মপ্ৰত্যয় আৰু আত্ম-প্ৰতিষ্ঠাৰ তীব্ৰ আকুতি। মানৱ প্ৰেমক কেৱলে ভগৱদ্ প্ৰেমৰ বিকাশৰ এক স্তৰ হিচাপে লোৱা নাই; বৰং ভগৱদ্ প্ৰেমক নিজৰ অন্তৰৰ মানৱতাবোধৰ বাবী বিকাশৰ একমাত্ৰ অৱলম্বন হিচাপে দেখিছে।

'ৰবীন্দ্ৰ-সঙ্গীত' প্ৰবন্ধত ভবানন্দ দত্তই সঙ্গীত সম্বন্ধে [illegible] ইঙ্গিত পোৱা যায়। তেওঁ তাৰ উঠাইছে [illegible] সঙ্গীতৰ [illegible] আৰু জাতীয় সঙ্গীতৰ [illegible] পাৰে।

[illegible]

'মৃত্যুৰ সময়ত তেখেত আছিল দৰ্শনৰ অধ্যাপক কিন্তু মৃত্যু পৰ্য্যন্ত তেখেত আছিল দৰ্শনৰ প্ৰকৃত ছাত্ৰ। বিভিন্ন দেশৰ আৰু বিভিন্ন কালৰ দৰ্শন অধ্যয়ন কৰোঁতে তেখেতৰ দৃষ্টি আছিল মানৱ জাতিৰ সুদূৰ ভৱিষ্যতত। দৰ্শনৰ উৎপত্তি, তাৎপৰ্য্য আৰু আৱশ্যকতা ব্যাখ্যা কৰোঁতে; বিশেষকৈ প্ৰাচীন ভাৰতীয় দৰ্শনৰ কথা চিন্তা কৰোঁতে, এই প্ৰবন্ধৰাজিত মাজে মাজে তেখেতৰ নিজা দৃষ্টি ফুটি ওলাইছে।' কিতাপৰ নামকৰণ সম্পৰ্কত ইয়াতেই শ্ৰীযুতা দত্তই এটি যুক্তি পৰোক্ষভাৱে হলেও দাঙি ধৰিছে। কিতাপখনৰ পাতনি লিখিছে আচাৰ্য্য মনোৰঞ্জন শাস্ত্ৰীয়ে। শাস্ত্ৰী ডাঙৰীয়াই তাত 'এই গ্ৰন্থৰ যোগেদি তেখেতৰ জ্ঞানময় দিব্যদেহ চিৰস্থায়ী হৈ থাকিব' বোলা কথাষাৰ শুভেচ্ছা-বাহীয়ে নহয়, পুথিখনৰ যথাৰ্থ মূল্যাংকনো।

পুথিখনত দৰ্শনৰ সমস্যা, দৰ্শনৰ তাৎপৰ্য্য, প্ৰাচীন ভাৰতীয় দৰ্শন, ভাৰতীয় দৰ্শনৰ ধাৰা, বৌদ্ধ মতবাদৰ সামাজিক তাৎপৰ্য্য, বৌদ্ধ মত আৰু পথ—এনেবোৰ দাৰ্শনিক তত্ত্বমূলক বিষয়ৰ আলোচনাৰ লগতে ভাৰতীয় সংস্কৃতিত পাশ্চাত্য প্ৰভাৱ, মানৱ জাতিৰ ভৱিষ্যৎ, বিশ্বশান্তিৰ সমস্যা, মৃত্যু, অসীম আৰু অনন্ত—আদিৰ দৰে গভীৰ তত্ত্বমূলক চিন্তনীয় বিষয়বোৰকো দৰ্শনৰ দৃষ্টি লৈয়েই সেইবোৰকো দাৰ্শনিক তত্ত্বসম্পন্ন কৰা হৈছে। পুথিৰ শাস্ত্ৰী ডাঙৰীয়াই কোৱাৰ দৰে 'যুক্তি আৰু দৰ্শন' এখন সাৰ্থকনামা গ্ৰন্থ। এই পুথিত পাশ্চাত্য দৰ্শন, ভাৰতীয় দৰ্শন আৰু বৌদ্ধ দৰ্শনৰ [illegible]

সুনির্দ্দিষ্ট, সুনিশ্চিত প্রামাণ্য জ্ঞান বুজায়'; দর্শন মানে দেশ-কাল-পাত্র নিৰপেক্ষ চিৰন্তন সত্যৰ অনুসন্ধান নহয়, কাৰণ সাময়িক সমস্যা আৰু লৌকিকতাক বাদ দি কোনো চিৰন্তন সত্য নাই"—এনেবোৰ কথাৰ মাজেদি ভৱানন্দ দত্তৰ দাৰ্শনিক চিন্তাধাৰাৰ এটা ক্ষুদ্ৰ আভাস পোৱা যায়। পুথিখনত বৈদিক যুগ, পৌৰাণিক যুগ, জড়বাদ, বৌদ্ধ চিন্তাধাৰা আদি বিষয়ৰ চমু পৰিচয় দিয়া আছে। অধ্যয়নৰ দ্বাৰা সাধাৰণ পাঠকেও প্ৰাচীন ভাৰতীয় দৰ্শন, বৌদ্ধ দৰ্শন আদিৰ দৰে জটিল বিষয়বোৰৰো একোটি মূল ধাৰণা কৰিবলৈ সমৰ্থ হব।

অসমীয়া কবিতাৰ কাহিনী—অসমীয়া কবিতা, বিশেষকৈ আধুনিক অসমীয়া কবিতা সম্পৰ্কে ভৱানন্দ দত্তই অসমীয়া কবিতাৰ কাহিনীত যি কৈছে, সি তেওঁৰ বক্তব্যৰ পাতনি স্বৰূপহে আছিল। তেওঁ সেই বিষয়ে বহুলকৈ আলোচনা কৰিবলৈ পাঙি থৈছিল, কিন্তু 'আপচা কাৰ্য্য নহয় সিদ্ধি বাটত আছে কথা বিধি' হ'ল। তেওঁ তাক কাৰ্য্যত পৰিণত কৰিবলৈ সুযোগ নাপালে। তাকে কৰিবলৈ তেওঁৰ ওপৰত এটা সামাজিক দায়িত্বও আহি পৰিছিল বুলি তেওঁ অনুভৱ কৰিছিল; কাৰণ অসমীয়া নতুন কবিতা বা আধুনিক কবিতা বোলা যি শ্ৰেণীৰ কবিতাৰ আজি প্ৰচলন হৈছে, তাৰ জনকসকলৰ ভিতৰত তেওঁ নিজেই আছিল অন্যতম।

দ্বিতীয় মহাযুদ্ধৰ সময়ত নানা কাৰণত কিছুদিনৰ বাবে 'জয়ন্তী' আলোচনী মৰি থাকি ১৯৪৩ চনত পণ্ডিত কমলনাৰায়ণ আৰু চক্ৰেশ্বৰ ভট্টাচাৰ্য্যৰ সম্পাদনাত পুনঃ প্ৰকাশ হবলৈ ধৰে। সেই সময়ত ভৱানন্দ দত্তও তেওঁৰ জোতা 'হুজনাৰ নাম লগাত অভিযোগে যেন নতুন কবিতাৰ সৃষ্টি কৰিছিল। [illegible] 'জয়ন্তী'ত 'অতিকেয়া-[illegible]' [illegible] 'বাহ্মপথ' নামৰ নতুন কবিতা এটা লিখিলে। [illegible] ভৱানন্দৰ কবিতাত নতুন বাণী এটা [illegible] [illegible]

[illegible]

অসমীয়া কবিতাৰ কাহিনী চাৰিটা প্ৰবন্ধত শেষ কৰি আধুনিক অসমীয়া কবিতা শিতানৰ পঞ্চম আলোচনাটোৰে পুথিখন শেষ কৰা হৈছে।' অসমীয়া কবিতাৰ কাহিনী বৰ্ণনাত ৰোমাণ্টিক কবিসকলৰ শ্ৰেষ্ঠ কেইজনৰ কাব্য-বিশ্লেষণ বিশেষকৈ মন কৰিবলগীয়া। দেৱকান্তৰ তৃপ্তিৰ 'ট্ৰেজেডি', গণেশ গগৈ-যতীন দুৱৰাৰ অমূৰ্ত্ত প্ৰেমৰ বিননিৰ স্বৰূপ প্ৰকাশত বাহিৰেও বিহুগী কবি ৰঘুনাথ চৌধাৰী, অম্বিকাগিৰী, প্ৰসন্নলাল, বিনন্দ বৰুৱা, উমেশ চৌধাৰী, অতুল হাজৰিকা, জ্যোতিপ্ৰসাদ আদিসকলৰ কাব্যৰ ৰূপ এক্ষো একেটি ৰেখাৰেই অঙ্কন কৰি তেওঁ নতুন কবিতালৈ গুছি গৈছে। নতুন কবিতাৰ অগ্ৰদূত জনক হৈ তেওঁ নিজেই তাৰ ৰূপ দেখি তাহানি বাল্মীকি ঋষিয়ে 'কিমিদং ব্যাহৃতং ময়া'-বোলাৰ দৰে হৈছে। নিজেই তাৰ বিশ্লেষণ দি তেওঁ কৈছে—'সেই সময়ৰপৰা কবিতাত এটা বাস্তৱমুখী গতি আৰু পৰীক্ষা আৰম্ভ হ'ল। সেই পৰীক্ষামূলক কবিতা আজিলৈ চলি আছে। কিন্তু দেখা গৈছে, এই ধৰণৰ কবিতাবোৰ বৰ দুৰ্বোধ্য হৈ পৰিছে। যেন কবিতাৰ ৰাজ্যত এটা অৰাজকতা আহিছে। বহুতে আজি নানা ধৰণৰ বিক্ষিপ্ত আৰু জীণ নোযোৱা শৃঙ্খলাবিহীন বিদ্যাৰ সম্ভাৰ লৈ 'ইলিয়টী' ভঙ্গীত কবিতাৰ কাঢ়চ উকৰাব ধৰিছে। সেয়ে আমাৰ জাতীয় আৰু ব্যক্তিজীৱনৰ গভীৰতম অনুভূতি আৰু অভিজ্ঞতাসমূহক ভেটি কৰি এটি সুস্থ আৰু স্বাভাৱিক দৃষ্টি কবিসকলৰ কাৰণে প্ৰয়োজন হৈছে আৰু আমাৰ জাতীয় কাব্য-সাহিত্যৰ এটা দিগ্-দৰ্শনৰ আৱশ্যকতাও দেখা দিছে।'

যতই আৰম্ভ কৰা দিগদৰ্শনৰ চেষ্টা খোৰতে শুৰু পৰিল। প্ৰতিভাৰ বিকাশ হবলৈ নোপাওঁতেই তেওঁৰ জীৱনৰ যৱনিকা পৰিল। যত্তৰ লগত সকলোৱে একমত হব নোৱাৰে আৰু সেইটো তেওঁ বিচৰাও নাছিল; কিন্তু তেওঁৰ যুক্তিৰ সাৰৱত্তা প্ৰতিপক্ষয়ো নবখানি নোৱাৰিছিল।

জ্ঞানদা বৰুৱাৰ মন আছিল অতিশয় উদাৰ আৰু লক্ষ্য আছিল বিশ্ব-মানৱৰ নিৰন্তৰ হিত চিন্তা। তেওঁ এবাৰ নহয় দুবাৰ নিৰ্বাচনৰ প্ৰাৰ্থী হৈছিল, কিন্তু দুয়ো বাৰেই কৃতকাৰ্য্যতা লাভ কৰিব পৰা নাছিল। নিৰ্বাচনৰ প্ৰাৰ্থী হৈ তেওঁ 'বি. বৰুৱাৰ দ্বিতীয় ভাতো বিষয়ানৱত্তা, [illegible] আদি উদাৰ ভাবৰ [illegible] কৰিছিল। তেওঁৰ নিৰ্বাচনী বক্তৃতাৰ বিষয়ে বিদ্ৰোহী কবি প্ৰসন্নলাল চৌধুৰীয়ে লিখিছিল—

'সেইদিনা তেওঁৰ লগতে ময়ো বক্তৃতা দিছিলোঁ। সাধাৰণতে এই বিধৰ বক্তৃতাত যেনে উষ্মা, আক্ৰমণ, নিন্দা আদি প্ৰচাৰ কৰা হয় তেওঁ তেনে ধৰণৰ একো কথা নকলে। বৰঞ্চ তেওঁ ভাৰতীয় দৰ্শনৰ ভিত্তিত সাৰ্বজনিক মঙ্গল আনিবলৈ কেনেবোৰ নিৰ্মল পন্থা গ্ৰহণ কৰিব লাগে তেনে কথাহে কলে। মোৰ ধাৰণা হ'ল তেনে ধৰণৰ সৰল উক্তিবোৰে আমাৰ ভোটাৰসকলক মুগ্ধ কৰা সম্ভৱ হবনে?'

এইদৰেই জীৱনৰ শেষ মুহূৰ্তলৈ জীয়াই ৰখাৰ আশা বুকুত লৈ বিপ্লৱী মনীষী ভৱানন্দ দত্ত ছাত্ৰীবাৰী হস্পিটেলত ১৯৫৭ চনৰ ৩ আগষ্ট তাৰিখে দুৰাৰোগ্য কৰ্কট ৰোগত পৰলোক প্ৰাপ্ত হয়। উঠি অহা ৰেলিটো জন-জুপৰ সোঁহতে শূন্যত বিলীন হ'ল বুলি কলে পতিয়াবলৈয়ে টান হৈ পৰে। এই ক্ষেত্ৰত কিন্তু সেয়ে ঘটিল।



চন্দ্ৰকান্ত অভিধানৰ কোহিৰাম দাস

কামৰূপ জিলাৰ সৰ্থেবাৰী ঘাইকৈ কাঁহ-শিল্পৰ বাবে প্ৰসিদ্ধ। এই সুখ্যাতিৰ লগতে সোণত সুৱগা চৰাই ই স্মৰণীয় হৈ আছে প্ৰয়াত প্ৰাক্তন মুখ্য ন্যায়াধীশ কথাশিল্পী হলীৰাম ডেকাৰ জন্মস্থান বুলিও। মথুৰা বুলিলেই শ্ৰীকৃষ্ণৰ, বৰদোৱা বুলিলেই শঙ্কৰদেৱৰ, মক্কা বুলিলেই হজৰত মহম্মদৰ নাম মনলৈ অহাৰ দৰে সৰ্থেবাৰী বুলিলে ডেকা ডাঙৰীয়াৰ স্মৃতি গোনেই মানসপটত জাহি উঠে। সেই একেদৰে এই সৰ্থেবাৰীতেই ১৮৮২ চনত এগৰাকী ঋষিকল্প পুৰুষে জন্ম গ্ৰহণ কৰিছিল: তেৱেঁই আছিল নীৰৱ সাধক কোহিৰাম দাস।

সাধক কোহিৰাম দাস জীৱিতাৱস্থাত কোহিৰাম বা কোহিমাষ্টৰ বুলিয়েই জনাজাত আছিল। কামৰ কৃতিত্বৰ লেখেৰে জুখিবলৈ গলে কোহিৰাম হয়তো পণ্ডিত বা শিক্ষাবিদ কোহিৰাম দাস ৰূপেই থাকি যাব। কিন্তু বহুত সফলতাতে সদায় জীৱনৰ চৰম কৃতিত্ব বুলি নগৰে: কি উপায়েৰে সেই কৃতকাৰ্যতা লভিবলৈ প্ৰয়াস কৰা হৈছিল, সং উপায়েৰে নে হিংসা বৃত্তিৰে, সাধু-সাত্বিক পথেৰে নে কূট-কৌশলেৰে, সেইটোহে অধিক বিচাৰ্য। মহাত্মা গান্ধীয়ে তেওঁৰ অসহযোগ আন্দোলন একাধিকবাৰ মাজতে অকস্মাৎভাৱে বন্ধ কৰি দি আপোন চিত্তশুদ্ধিৰ বাবে অনশনত বহিছিল, কাৰণ তেওঁৰ সহযোগী আন্দোলনকাৰীসকলে ইংগিত লক্ষ্যত উপনীত হবৰ কাৰণে সৎ পথৰ পৰা আঁতৰি অসৎ পথেৰে আগ-বাঢ়িছিল, অহিংসাৰ নীতি ত্যাগ কৰি হিংসা বৃত্তি অৱলম্বন কৰিছিল। কিয়, কৃতকাৰ্যতাই জীৱনৰ চৰম আদৰ্শ নহয়।

কোহিৰাম দাস [illegible] জীৱনৰ [illegible] [illegible]
[illegible]

'পুৰণি বি. এ. পাছসকলৰ এজন হৈও কোহিবাবুৱে এনে জীৱন [illegible] ৰাৱে কঠোৰ সংগ্ৰাম কৰিবলগীয়া হৈছিল। তেওঁ এজন [illegible] শিক্ষাবিদ আছিল, সমাজ-সেৱী আছিল, মুক্তি যুঁজাৰু আছিল, [illegible] উদ্যোগৰ উন্নয়নাকাঙ্ক্ষী আছিল, অসমীয়া সাহিত্যৰ [illegible] নীৰৱ সেৱক আছিল, তদুপৰি তেওঁৰ আছিল এটি দাৰ্শনিক ধৰ্মীয় মনোভাৱ। [illegible] ধনুৰ্দ্ধৰ মহাবীৰ কৰ্ণক নিয়তিয়ে পদে পদে লাঞ্ছিত কৰাৰ নিচিনাকৈ কোহি-বাবুকো নিয়তিয়ে অনবৰত বিদ্ৰুপৰ চকুৰে চাইছিল, পদে পদে তেওঁ প্ৰতিকূল অৱস্থাৰ সন্মুখীন হবলগীয়া হৈছিল। সেয়ে তেওঁ হৈছে 'কামৰূপ ৰত্নমালা'ৰ অন্যতম ৰত্ন। ('নীৰৱ সাধক কোহিৰাম দাস' প্ৰমুখ্য সংযোজিত 'একেষাৰ')।

সেই যুগৰ শিক্ষা আৰু শিক্ষিতৰ সংখ্যা সম্পৰ্কে মন্তব্য দি 'সাহিত্য সংগ্ৰহ' নামৰ কলিকতা বিশ্ববিদ্যালয়ৰ ১৯০৫ চনৰ এণ্ট্ৰেন্সৰ পাঠ্য [illegible] দ্বিতীয় সংস্কৰণৰ ৬।১২।০০ তাৰিখৰ ভূমিকাত ডঃ প্ৰফুল্লচন্দ্ৰ গোস্বামীয়ে কৈছে :—'সত্তৰ-আশী বছৰ আগেয়ে অসমীয়া উচ্চ শিক্ষিত [illegible] সংখ্যা নবহ আছিল—[illegible] আৰু [illegible] নাই [illegible] কথা। পুৰণি 'অসম বন্তি' চালে গম পোৱা যায় যে [illegible] সৰৰ কাৰণেই [illegible] নোহোৱা হৈছিল। বি [illegible] [illegible] নাইবা হাকিমৰ পদ পাইছিল ('অসম বন্তি' [illegible])।' [illegible]

[illegible]

একমুখে স্বীকাৰ কৰিছিল। আনকি বি. এ. পাছ কৰাৰ পাছত তেওঁক চাবলৈ দূৰদূৰান্তৰ গাঁও-ভূঁইৰপৰাও মানুহ আহি তেওঁৰ চোতাল ভৰি পৰিছিল।

এম. এ. আৰু বি. এল. পৰীক্ষাত তেওঁ যথাসময়ত বহিছিল; কবলৈ গলে নিসহায় নিৰায়ুধ যোদ্ধাই দেখাক দেখি যুদ্ধ-ক্ষেত্ৰত অৱতীৰ্ণ হোৱাৰ দৰেহে। তাৰ কাৰণো নোহোৱা নহয়। ৰাজা ৰামমোহন ৰায়, মহৰ্ষি দেৱেন্দ্ৰনাথ ঠাকুৰ, ব্ৰহ্মানন্দ, কেশৱচন্দ্ৰ সেন, ৰামকৃষ্ণ পৰমহংস, স্বামী বিবেকানন্দ প্ৰভৃতি মনীষীসকলৰ জীৱনৰ ঘটনাৱলী তথা কাৰ্য্যকলাপে আৰু বিবিধ ধৰ্মশাস্ত্ৰৰ অধ্যয়নে তেওঁক সেই সময়ত বৰকৈ আকৰ্ষণ কৰিছিল। বি. এল. পঢ়োঁতে আইনৰ কিতাপতকৈও তেওঁ ল-ৰিপোৰ্টবোৰহে উপন্যাস পঢ়াদি পঢ়িছিল। এই বিষয়ে পিছত তেওঁ নিজেই আক্ষেপ কৰি আত্ম-জীৱন চৰিতত লিখিছিল—'এই দুটা পৰীক্ষা ফে'ল কৰাৰ কাৰণ হ'ল এয়ে যে পাঠ্য পুথিবিলাক এৰি বাহিৰা কিতাপ আৰু Law Report বিলাক পঢ়োঁতেই মোৰ সময় গৈছিল। বি. এল. পাছ নকৰা কথাটো মোৰ পক্ষে এটা অভিশাপৰ দৰে হ'ল। চাকৰি মই কেতিয়াও ভাল পোৱা নাছিলোঁ, উকীল হ'বলৈহে মোৰ প্ৰবল আকাংক্ষা আছিল।' গাৰ্হস্থ্য জীৱনৰ প্ৰতি কটাক্ষ কৰিও তেওঁ তাত কৈছে, 'সংসাৰ কৰা মানুহৰ দৰে মোৰ মন গঠিত হোৱা নাই; সংসাৰ কৰিবলৈ মই অনুপযুক্ত, গতিকে মোৰ সাংসাৰিক জীৱনত বহুত বেমেজালি ঘটিছে। মই কেনো বছৰ চাকৰি কৰিলোঁ, অনেক টকা ঘটিলোঁ, কিন্তু এই পৰ্যন্ত [illegible]'

[illegible]

শিক্ষকতা কৰিছিল। তেওঁৰ কথা-বতৰা, চলন-ফুৰণ অতি সাধাৰণ আছিল। তেওঁ কোনো দিনে আমাৰ আগত নিজৰ বিদ্যা জাহিৰ কৰা নাছিল, আৰু আগতে কৈ নিদিলে কোনেও কব নোৱাৰিছিল যে তেওঁৱেই 'চন্দ্ৰকান্ত অভিধান'ৰ শব্দ সংযোজক কোহিৰাম দাস। মানুহজন [illegible] আৰু অলপ বেলেগ প্ৰকৃতিৰ। তেতিয়াৰ এদিনৰ কথা। সোণাৰাম ফুকন [illegible] ৰৈ যোৱা লুইতৰ চাপৰিৰ ঝাওবনৰ হাবিত চৰাই চিকাৰ কৰিবলৈ আমাৰ সহকৰ্মী শ্ৰীপুলিনৰাম ফুকন হাতত বন্দুক লৈ [illegible] ওলাই গৈছিল। অলপ সময় চিকাৰ বিচাৰি ফুৰাৰ পিছতে ঝাও গছৰ মাজত এটা বনৰীয়া গাহৰিয়ে বোকাত লেটি লৈ থকা দেখা পাই তেওঁ বন্দুকটো টোঁৱাৰ খুজিলে। কিন্তু অলপ পিছত দেখে যে গাহৰিটো দেখোন মানুহৰ দৰে থিয় হল। তেতিয়া তেওঁ ভয়ে-ভয়ে আগবাঢ়ি গৈ দেখা পালে যে সেইটো গাহৰি নহয়, গোটেই গা বোকাৰে লুতুৰি-পুতুৰি কোহিৰাম দাস। এখন চুৰিয়া কৰি পিন্ধা গামোচাৰ বাহিৰে আন কাপোৰ তেওঁৰ গাত নাই। বোকা-পানী লাগি গাৰ বৰণ গাহৰিৰ দৰে হৈছিল। কিয় তেনেভাৱে আছিল বুলি ফুকনে সোধাত কোহিৰামে হেনো 'হাইড্ৰপেথি' (জলচিকিৎসা) কৰা বুলি কৈছিল। যি হওক, ঈশ্বৰৰ অনুগ্ৰহত সেইদিনা কোনো দুৰ্ঘটনা ঘটিব নাপালে। [illegible] ফুকনে সেই চিকাৰকাহিনী আমাৰ আগত কৈছিল। কোহিৰামৰ [illegible] নিৰ্বিকাৰচিত্তে কাম কৰি গৈছিল। কাৰো আগত সেই কাহিনী ব্যক্ত কৰা নাছিল।

এনেকুৱাই আছিল কোহিৰাম দাস। [illegible] সকলোৰে মাজত কোহিৰাম দাসৰ নাম [illegible] কৰিছিল। এই প্ৰসঙ্গত 'চন্দ্ৰকান্ত অভিধান' প্ৰণয়ন [illegible] কৰা যায়। [illegible]

গোসাঁইৰ ছিলঙৰ ঘৰত থকা সমস্ত পুৰণি নথি আৰু চিঠি-পত্ৰাদি কাকত-পত্ৰ খুঁচৰি পাত-পাত কৰিবলগীয়া হৈছিলোঁ। তাকে কৰোঁতে 'সাহিত্য সভাৰ কথা' বোলা উক্ত টোকাটো আমাৰ হাতত পৰে। আমি তেতিয়া ছিলং মুকুল সংঘৰ প্ৰতিষ্ঠাপক সম্পাদক, আৰু অধ্যাপক কেশৱ নাৰায়ণ দত্ত সেই সংঘৰে এগৰাকী বিশিষ্ট সদস্য। সেই সূত্ৰে দত্তৰ লগত আমাৰ সংঘাতে নানা বিষয়ৰ আলাপ-আলোচনাদি হৈ আছিল। কথা-প্ৰসঙ্গত গোসাঁইৰ সেই টোকাটোৰ কথা দত্তক এদিন বিবৰি কোৱা হৈছিল আৰু কোৱাই নহয়, সেইটো তেওঁক দেখুৱাও হৈছিল। কালক্ৰমত মুকুল সংঘৰে প্ৰতিনিধি হিচাপে গৈ অধ্যাপক দত্ত নিজৰ প্ৰতিভাৰ গুণত সাহিত্য সভাৰ কাৰ্যনিৰ্বাহকৰ সদস্য, পত্ৰিকা সম্পাদক আৰু আনকি প্ৰধান সম্পাদক পৰ্য্যন্ত হয়। সিমানেই নহয়, তেওঁ এটা অধিবেশনত বুৰঞ্জী শাখাৰ সভাপতিও হৈছিল। তেখেত পত্ৰিকা সম্পাদক হৈ থকা কালতে নতুন প্ৰকাশ, ২য়-৩য় সংখ্যা : কাতি, মাঘ : ১৮৭৪ শক; ইং ১৯৫২ চন-কাকতত পত্ৰিকাৰ সুদীৰ্ঘ ৩৪ পিঠি জোৰা 'সাহিত্য সভাৰ কথা' বোলা টোকাটো বৰ্জন-শোধনৰ মাজেদি সম্পাদিত হৈ প্ৰকাশ হয়। স্বৰ্গীয় কোহিৰাম দাস আৰু "চন্দ্ৰকান্ত অভিধান" সম্পৰ্কে কবলৈ গলে সেইটোৱে একমাত্ৰ নিৰ্ভৰযোগ্য প্ৰথম প্ৰকাশিত বিবৰণ। ইয়াত তাৰেই সংশ্লিষ্ট কিছু অংশ উদ্ধৃত কৰিলোঁ। তাতে এঠাইত গোসাঁয়ে লিখিছে—"সম্প্ৰতি 'চন্দ্ৰকান্ত অভিধান'ৰ কথা সংক্ষেপ কৰি লেখোঁ।

'চন্দ্ৰকান্ত সন্দিকৈ হ'ল' হোৱাৰ লগে লগে চন্দ্ৰকান্ত অভিধান লেখোৱাৰ [illegible] হ'ল। [illegible] ৰায়বাহাদুৰ [illegible] [illegible] [illegible] [illegible]

[illegible] ১৯[illegible] চনত [illegible] চনলৈ) [illegible]

[illegible]

তেওঁক আনি এটা ডাঙৰ কাম কৰা হ'ল। অভিধান লেখাৰ নিচিনা কাম, তাৰ মাজত বিমান বেমেজালি, আৰু শব্দ এটাৰ অৰ্থ ব্যাখ্যা লিখিবলৈ যিমান ধৈৰ্য্য আৰু শ্ৰমৰ আৱশ্যক হ'ল—তাকে দেখি মোৰ দৃঢ় বিশ্বাস হ'ল যে কোহিৰাম বাবু ব্যতিৰেকে তেতিয়া আন কোনো এজন অসমীয়া মানুহ নাছিল যি এনে বৃহৎ কামটো ইমান ভাল কৰি কৰিব পাৰিলেহেঁতেন। মই মাজে মাজে ভাবোঁ যে কোহিৰাম বাবুৰ দৰে তেতিয়াৰ দিনৰ কৃতবিদ্য মানুহ এজনে এটা গৱৰ্ণমেণ্ট চাকৰি নোপোৱাটোতেই যেন বিধিৰ বিধান লুকাই আছিল যে এদিন অসমীয়া ভাষাত 'চন্দ্ৰকান্ত অভিধান' নামৰ অভিধান এখন ওলাব লাগিব। যি হওক, যি 'চন্দ্ৰকান্ত অভিধান ছপা হৈ ওলাল সি কিন্তু কোহিৰাম বাবুৱে লেখা সম্পূৰ্ণ অভিধান নহয়। তেওঁ তাত নানান প্ৰকাৰৰ উদাহৰণ আৰু প্ৰয়োগ দেখুৱাই শব্দাৰ্থ আদি লেখিছিল, আৰু তাত শব্দও আছিল অনেক। পাছত কালত অভিধান ছপাবৰ সময়ত বিশেষ বিশেষ বিবেচনা নকৰা কৰি কোহিৰাম বাবুৱে লেখা বহুত প্ৰয়োগ, ব্যাখ্যা, শব্দ আদি কাটি দিয়া হ'ল। 'চন্দ্ৰকান্ত অভিধান' লেখা সম্পৰ্কে এই কথা বৰ বেদনাদায়ক।

+++'চন্দ্ৰকান্ত অভিধান'ৰ পাতনিত বা আন কৃতজ্ঞতা মোৰ নামৰ কথাই নাই, কোহিৰাম বাবুৰ নাম পৰ্য্যন্তও উল্লেখ নহ'ল।' —এই সম্পৰ্কে কোহিৰাম দাসে তেওঁৰ আত্ম-জীৱনীত অভিযোগ কৰিছে [illegible] লিখিছে— 'অভিধানৰ পাতনিত মোৰ, মোৰ সহকৰ্মী আৰু [illegible]। [illegible] শৰৎচন্দ্ৰ গোস্বামী ডাঙৰীয়াৰ কোনো উল্লেখ নাই।' [illegible] আচৰণত সেই ক্ৰটী ভগোৱা বৰ বুলি কথা [illegible] [illegible] লিখিছিল আৰু কেনেকৈ লিখিছিল, [illegible] [illegible] [illegible] অভুলন 'চন্দ্ৰকান্ত অভিধান'ৰ পাতনিত [illegible] সেই [illegible] নাই, শৰৎচন্দ্ৰ গোস্বামী আৰু কোহিৰাম দাস, এই দুজোনা [illegible] [illegible] 'চন্দ্ৰকান্ত অভিধান'ৰ [illegible]

[illegible]

সেই অভিধান লিখা কাম আৰম্ভ কৰি তাৰ একো উন্নতিৰ আশাই নিৰাকৃত পৰিলোঁ। যি হওক কেবাখনো অভিধান চাই-মেলি কাম এক ৰকম আৰম্ভ কৰিলোঁ। নতুন শব্দৰ ব্যুৎপত্তি উলিয়াবলৈ যে মোৰ কিমান পৰিশ্ৰম হৈছিল, তাক আনে সহজে নুবুজিব। কামৰূপী 'তামাকাহা'ৰ হবে নতুন শব্দৰ ব্যুৎপত্তি উলিয়াবলৈ সেই ৩/৪ খন বেলেগ বেলেগ ভাষাৰ অভিধান চোৱাৰ বাহিৰেও ১০/১২ ঘণ্টা ভাবিব লগাত পৰিছিলোঁ। এই কাম মই তিনি বছৰ কৰোঁ। বছৰি দৰমহা ১০ ৰ পৰা ৫টকাকৈ বাঢ়িছিল। শেষৰ ৩/৪টা আখৰ লিখাৰ আগতে কৰ্তৃপক্ষই মোক বিদায় দিলে। তেওঁলোকে অভিধানখন কামৰূপী কৰা বুলি সন্দেহ কৰিলে।' পিছত পুনৰীক্ষণ কৰি অভিধানখন কিছু চমুকৈ উলিওৱা হয়। হাসবেৰে সেইবিষয়ে কৈছে— 'অভিধানত মই যিমান বহলাকৈ শব্দৰ ব্যুৎপত্তি আৰু নানা কিতাপৰপৰা উদ্ধৃত পদ দিছিলোঁ তাক ৰখা নহ'ল।'

১৯৭৭ চনত হতবৰুৱা এণ্ড কোম্পানীয়ে প্ৰকাশ কৰা আমাৰ ৰচিত 'অসমীয়া অভিধান আৰু ভয়' নামৰ পুথিৰ ৩১ পৃষ্ঠাত 'চন্দ্ৰকান্ত অভিধান আৰু তাৰ পৰৱৰ্তী প্ৰচেষ্টা' প্ৰসংগত আমি দিয়া কোহিৰাম বাবুৰ কথাখিনি ইয়াতে যোহাবিছো—'ক্ষোভ আৰু বেজাৰেৰে সৈতে কৈ নোৱাৰি যে 'চন্দ্ৰকান্ত অভিধান' প্ৰণয়ন আৰু প্ৰকাশত অসমীয়া ভাষাৰ কাৰণে যাতাৰ যি উদাৰতা আৰু বদান্যতা প্ৰকাশ পাইছিল কৰ্মকৰ্তাসকলে তাক সম্যক্‌-ভাৱে কাৰ্যত ৰূপায়িত কৰিব নোৱাৰিলে। সংগৃহীত অনেক প্ৰচলিত শব্দয়ে ভাৰসাম্য ৰক্ষা পৰিল আৰু সেয়ে অভিধানখন পূৰ্ণাংগ কৰাত ব্যাঘাত জন্মালে। × × এতিয়া সেই বিষয়ে অধিক আলোচনা কৰি লাভ নাই যদিও কৈ থোৱা উচিত হব, যে অভিধানৰ শাস্ত্ৰমিত শব্দসংগ্ৰাহক আৰু অভিধান-লেখক কোহিৰাম দাস ডাঙৰীয়াৰ নামটো পৰ্যন্ত উল্লেখ নকৰাটো বৰ দুৰ্ভাগ্যজনক। কি কি কাৰণে এতিয়া তাৰ আসল [illegible] জনা [illegible] তাৰ [illegible] ৰূপ দিবলৈ চাই [illegible] এটাৰ [illegible] আৰু ন-স্বৰণি, উজনি-নামনি সকলো ঠাইৰ অসমীয়া ভাষাত ব্যৱহৃত হৈ থকা শব্দসমূহ উদাৰভাৱে গ্ৰহণ কৰা হৈছে বুলি সহজভাৱে [illegible] কয়।'

আমাৰ বিশ্বাস দাস ডাঙৰীয়াৰ [illegible] দ্বিতীয় সংস্কৰণ 'চন্দ্ৰকান্ত অভিধান' [illegible] [illegible] লিখিবৰ হৈ [illegible]

বাবে ডঃ বিৰিঞ্চিকুমাৰ বৰুৱাকে ধৰি দ্বিতীয় সংস্কৰণৰ নতুন সম্পাদনা সমিতিয়ে সেই বিষয়ে পাতনিত একো উল্লেখ নকৰিলে। প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব পাৰি যে এই লেখকে ক্ষুদ্ৰভাৱে হলেও 'চন্দ্ৰকান্ত'ৰ দ্বিতীয় সংস্কৰণত বিবেচনাৰ কাৰণে এহেজাৰমান নতুন শব্দ বহুযত্নে সংকলন কৰি পঠিয়াইছিল আৰু তাৰ স্বীকৃতি ডঃ বিৰিঞ্চিকুমাৰ বৰুৱাদেৱে পাতনিত দিছে। এনে-স্থলত দাস-গোস্বামীৰ বহুমূলীয়া সহযোগৰ স্বীকৃতি নিদিয়াৰ যুক্তিসঙ্গত কাৰণ আমি নেদেখোঁ, বিশেষকৈ নতুন কৰ্মকৰ্তাসকলে। সেয়ে হলেও সত্যক ঢাকি ৰখা টান আৰু নিস্বাৰ্থ দেশহিতকৰ কামৰ স্বীকৃতি যিকোনোপ্ৰকাৰে পলমকৈ হলেও এদিন হব।

'চন্দ্ৰকান্ত অভিধান'ৰ পাতনিত নাম নাথাকিলেও কোহিৰাম দাসেই যে সেই অভিধানৰ মুখ্য সংকলয়িতা আছিল আৰু আন নালাগে পণ্ডিত কৃষ্ণকান্ত সন্দিকৈৰ দৰে লোকেও যে এসময়ত দাস ডাঙৰীয়াৰ সহকাৰী হৈ কাম কৰিবলৈ দ্বিধাবোধ নকৰিছিল, সেই দুয়োটা কথা অইন কি স্বয়ং সন্দিকৈ দেৱৰ জীৱনীতে পোৱা গৈছে! সুসাহিত্যিক আব্দুছ ছাত্তাৰৰ দ্বাৰা ৰচিত আৰু সন্দিকৈদেৱৰ দ্বাৰা সমৰ্থিত 'কৃষ্ণকান্ত সন্দিকৈ' নামৰ গ্ৰন্থৰ ষষ্ঠ অধ্যায়ৰ 'কলেজীয়া ছাত্ৰৰূপে গুৱাহাটী আৰু কলিকতাত' প্ৰসঙ্গত (২য় তাঙৰণৰ ৩৪ পৃষ্ঠাত) আছে পুৰণিগুদামৰ কদ্ৰকান্ত গোস্বামীৰ লগতো সন্দিকৈদেৱৰ বন্ধুত্ব হৈছিল। তেওঁ তেতিয়া যোৰহাটত প্ৰাইভেটকৈ মেট্ৰিক দিবৰ কাৰণে এবছৰমান আছিল আৰু ধকৰা শিক্ষকতা কৰি তেওঁৰ থকা-খোৱা খৰচ উলিয়াইছিল। তেওঁৰপৰাও অসমীয়া সাহিত্যৰ কাৰণে সন্দি-কৈয়ে উদগনি পাইছিল। ইয়াৰ বহুত দিনৰ পিছত 'চন্দ্ৰকান্ত অভিধান'ৰ প্ৰধান সঙ্কলয়িতা (Chief Compiler) কোহিৰাম দাসৰ লগতো তেওঁ কেইবা বছৰো সহকাৰী হৈ কাম কৰি আছিল।'

'ৰাধাকান্ত সন্দিকৈ' গ্ৰন্থত নকুলচন্দ্ৰ ভূঞাদেৱেও শৰৎচন্দ্ৰ গোস্বামীদেৱৰ পূৰ্বোক্ত টোকাটোৰ উদ্ধৃতি দি কৈছে 'চন্দ্ৰকান্ত অভিধান' তৈয়াৰ কৰা কামত এই কেইজন মানুহে খাটিছিল: শ্ৰীযুত কোহিৰাম দাস, সৰ্বেৰাৰী, ৺কদ্ৰকান্ত গোস্বামী, নগাওঁ আৰু শ্ৰীনকুল চন্দ্ৰ ভূঞা, যোৰহাট।'

এই বিষয়ে 'চন্দ্ৰকান্ত অভিধান'ৰ প্ৰথম তাঙৰণৰ পাতনিত আছে, 'নতুন আৰু পুৰণি ভাল ভাল পুথি আদি পঢ়ি 'হেমকোষ'ত নথকা শব্দবিলাক

গোটাগৈলৈকেও তিনিজন কৰ্মচাৰী নিযুক্ত কৰা হৈছিল। তেওঁলোকে সংগ্ৰহ কৰা শব্দৰাশিক অভিধানত ভৰাই 'দয়া হৈছে।' কিয়া কাৰণত কোন কোন তিনিদিন আছিল নাম কোৱা নহ'ল যদিও তেওঁলোকক জানিবলৈ পাঠকৰ এপিয়া আৰু বাকী নাই।

আমি জনাত কোহিৰাম দাস ডাঙৰীয়াই ভাষা জননীৰ পূজালৈ বুলি চাৰি পাহ গ্ৰন্থ-পুষ্পাঞ্জলি আগবঢ়াইছিল। তাৰে আত্ম-জীৱনীখন তেওঁ লিখিছিল তেওঁৰে একৰাৰী প্ৰিয় ছাত্ৰ শ্ৰীপ্ৰভাত চন্দ্ৰ চৌধুৰীৰ নেৰানেপেৰা অনুৰোধ-আক্ৰান্তি নেওচিব নোৱাৰি। ১৯৭৫ চনত তেওঁৰ মৃত্যুৰ ষোল বছৰ পিছত শ্ৰীশ্ৰীহৰিদেৱৰ পুথিভঁৰালৰ সৌজন্যত সেইখন 'যেন-তেন ৰূপত' কোনোমতে প্ৰকাশ হৈছে। দাস ডাঙৰীয়াই হাতেলিখা অৱস্থাত আৰু তিনিখন পুথি এৰি থৈ যোৱা বুলি জনা গৈছে : যেনে—(১) হজৰত মহম্মদৰ জীৱনী; (২) 'অংশুমান' নামৰ পৌৰাণিক নাট এখনি আৰু (৩) ভাৰতৰ আঠাইছগৰাকী ধৰ্মগুৰুৰ চমু জীৱনী আৰু দৰ্শন সম্বলিত 'ভাৰতৰ ধৰ্মগুৰুসকল' বোলা এখন বৃহৎ পুথি। এনে স্থলত অইন নহ'লেও অন্ততঃ 'ভাৰতৰ ধৰ্মগুৰুসকল' বোলা শেহৰখন পুস্তক যিকোনো উপায়ে প্ৰকাশ কৰোঁৱাটো সমীচীন হব বুলি প্ৰতীয়মান হয়।

১৯২১ চনৰ মহাত্মা গান্ধীৰ অসহযোগ আন্দোলনতো কোহিৰাম দাসৰ অবিহনা উলাই কৰিব পৰা বিধৰ নাছিল। তেওঁ গোনতে টিহুত জাতীয় স্কুল এখন পাতি তাৰ সহায়ত কপাহ ধুনা, যঁতৰ ঘুৰোৱা, টাকুৰীত সূতা কটা আদি গঠনমূলক কামৰ প্ৰচাৰ কাৰ্য্য চলাইছিল। এই কালছোৱাতে খাজনা-বন্ধ সংক্ৰান্ত কামতো জড়িত থকা বুলি চৰকাৰে তেওঁক এবাৰ নহয়, দুবাৰো গ্ৰেপ্তাৰ কৰি নি কাৰাবাস দিছিল। সেই সময়তে তেওঁৰ এটি পুত্ৰ আৰু এজনী কন্যা আগা-পিছাকৈ মৃত্যুৰ তিতৰতে ঢুকায়। ই কম মৰ্মন্তুদ পৰিস্থিতি নহয়। তেওঁ তাক নিৰ্বিকাৰভাৱে ধৈৰ্য্য ধৰি সহ্য কৰিছিল।

কাঁহ শিল্প উদ্যোগৰ সমবায় আন্দোলনৰ নেতৃত্ব দান (১৯৩৩ চন) সমাজ-সেৱী দাস ডাঙৰীয়াৰ জীৱনৰ দ্বিতীয় মহৎ কাৰ। কুৰি শতিকাৰ আৰম্ভ-ণিৰে পৰা ৰেল-জাহাজৰ চলাচল অসমত বাঢ়ি অহাৰ লগে লগে মেৰ্চা-মাৰোৱাৰী-বঙালী-মেছোৱালী আদি অনাঅসমীয়া লোকসকলে অসম ভৰি

পৰিছিল, আৰু [illegible]ৰি পৰাই নহয়, সেইসকলে অসমীয়াৰ কাঁহ-পিতলৰ বা[illegible] [illegible] দামত কিনি লৈ পেছি দামত বেচি য[illegible] [illegible] [illegible] নিজৰ জীৱিকা নিৰ্বাহ কৰিবলৈ লৈ[illegible] [illegible] [illegible] কাঁহৰ উপৰি ভগা কঁাহ কিনি লৈ (অনেক সময়ত [illegible]) কঁাহাৰসকলকে বেচে। কঁাহাৰসকলে তাৰেই বাচনবৰ্ত্তন গঢ়ি কান্ধেৰে কঢ়িয়াই নি মহাজনসকলক দিয়ে। তেনেকৈ কঢ়িয়াই নি গাদীত দিয়া বাবে মহাজনসকলে আকৌ মোনে এটকাকৈ কাটি লয়। ইয়াৰেই নাম গাদী-চট্‌কা বা মিঠাই খোৱা। এই পইচা প্ৰকৃততে পাব লাগে কোনে, আৰু পায় কোনে? তাকে আমাৰ গঞা কৰবা এটাত কয়, বোলে—

তোমাৰে বাৰীৰ বাঁহ-গাজ
তাকে কাটি কৰিছোঁ খৰিচা :
তোমাকে দি ধান-দোণ সলাইছোঁ
কথাটো মন কৰিছা?

এনে অপমানজনক প্ৰথাকে মহাজনসকলে তেওঁলোকৰ বণিকসুলভ সোণ-কপৰ মুখেৰে অভিহিত কৰিছিল—মিঠাইখোৱা বুলি। গেলাতে টেঙা: কটা ঘাত চেঙা তেল বা কটা ঘাত লোণৰ ছিটনি। ইয়াৰ উপৰি 'বাণ্টি-কাঁহ'ৰ যাদু! সি আৰু মজাৰ কথা। হাতে-গঢ়া বাচনত কেতিয়াবা নিৰ্দ্দিষ্ট জোখতকৈ বেছি যায়। ইয়াকে বাণ্টি-কাঁহ বোলে। বাণ্টি-কাঁহৰ গঢ়নি মহাজনে কঁাহাৰক নিদিয়ে। সেয়ে নহয়, বেছি হোৱা ভঙা-কঁাহৰ মূল্যকেৰাও নিদিয়ে। ইয়াকে ইংৰাজী প্ৰবচন এটিত কোৱা হয়—Head you lose, tail I gain, দুয়ো পিনেদি মহাজনৰে লাভ বা জয়।

মহাজনসকলৰ এনেবোৰ চক্ৰান্ত আৰু জাল-জুৱাচুৰিয়ে সেই সময়ত কপা-লৰ ঘাম মাটিত পেলাই জীৱিকা অৰ্জা কঁাহাৰ শিল্পীসকলৰ পানীত হাঁহ নচৰা অৱস্থা কৰিছিল।

'নীৰৱ সাধক কোহিৰাম দাস' পুথিৰ ৰচয়িতা শ্ৰীলোহিত ডেকাৰ কথাৰে কবলৈ হ'লে—'সেই সময়ৰেপৰা কঁাহাৰসকলৰ অৰ্থনৈতিক জীৱনলৈ নামি আহিছিল এক অন্ধকাৰ ভৱিষ্যৎ। ইয়াৰ বাবেই বহাৰ কঁাহ-শিল্প মৰিল,

তিতাবৰ, ঢেকীয়াজুলি আদিৰ কঁাহ-শিল্প নিঃশেষ হৈ গ'ল। বাকী থাকিল মাথোঁ সৰ্থেবাৰীৰ।'

এনে দুৰ্যোগৰ সঙ্কটৰ সময়তে কোহিৰাম দাসদেৱে গুৱাহাটীৰ দৰে অনা-অসমীয়া-বণিকপ্ৰধান বাণিজ্য কেন্দ্ৰতে মহাজন-বৰ্জন অভিযানেৰে সৰ্থেবাৰীৰ অসম-গৌৰৱ কঁাহৰ-শিল্পসকলক একগোট কৰি লৈ অসমীয়াৰ যুগজয়ী প্ৰতিষ্ঠান 'অসম সমবায় কঁহাৰ সংঘ লিঃ' স্থাপন কৰিছিল। তাৰ গৌৰৱত উৎফুল্লিত হৈ আত্ম জীৱনীত তেওঁ নিজে কৈছে—'জীৱনত যদি কিবা অলপ নিস্বাৰ্থ কাম কৰিছোঁ তেন্তে সেইটো কঁহাৰ সংঘৰ সম্পৰ্কে কৰা হৈছে।'

এইটোকেই তেওঁ জীৱনৰ একমাত্ৰ নিস্বাৰ্থ কাম বোলাৰ তাৎপৰ্য্য এই যে, বাকীবোৰ কামত তেওঁ নামমাত্ৰ হলেও পাৰিশ্ৰমিক লৈছিল, ইয়াত সেইকেৰাও নাছিল। সেয়েহে 'অসম সমবায় কঁহাৰ সংঘ' দাস ডাঙৰীয়াৰ জীৱনৰ কীৰ্তিস্তম্ভ। এনে ত্যাগ স্বীকাৰৰ বাবে তেওঁ সৰ্থেবাৰীৰ সমূহ কঁাহ-শিল্পী সম্প্ৰদায়ৰ তথা অসমৰ জাতীয়তাবাদী সমূহ উদীয়মান যুৱক সম্প্ৰদায়ৰে পূজাৰ পাত্ৰ।

গল্প ভাৰতী

অতুলচন্দ্ৰ বৰুৱা এম. এ.
গুৱাহাটী

GALPA BHARATI — An Assamese book of selected stories from the Vedas, the Upanishadas, the Ramayana, the Mahabharata, the Jatakas, the Haribangsha and the Bhagawata Purana, written by Shri Atul Chandra Barua. M. A. A. C. S., Published by Shri M. K. Dutta, M. A, Mani Manik Prakash, Guwahati, Sixth Publication. February 1973.

প্ৰকাশক :
শ্ৰীমনোজ কুমাৰ দত্ত, এম. এ.
মণি মাণিক প্ৰকাশ
গুৱাহাটী- ১

ষষ্ঠ প্ৰকাশ :
ফেব্ৰুৱাৰী, ১৯৭৩

ছপা কৰিছে :
শ্ৰীৰামকৃষ্ণ পাল
লক্ষ্মী-সৰস্বতী প্ৰেছ
২০৯ বি, বিধান সৰণী
কলিকতা- ৬

মূল্য : ২·৬০ পইচা

পাতনি

তাহানি পঢ়াশলীয়া কালত বুৰঞ্জী পঢ়োঁতে জাতক, উপনিষদ, পুৰাণ, ভাগৱত আদিৰ যেতিয়া উল্লেখ পাইছিলোঁ তেতিয়া এইবোৰ সম্ভৱতঃ ধৰ্ম্মৰ গূঢ় তত্ত্বেৰে ভৰা কিছুমান দুৰ্ব্বোধ্য পুথি, সংসাৰ-বিৰাগী, পৰলোকৰ যাত্ৰী বুঢ়া লোকসকলৰহে উপযোগী—ছাত্ৰসকলৰ কাৰণে উপাদেয় বস্তু তাত এখো নাই এনে আছা হৈছিল আৰু তেতিয়াৰে পৰা এইবোৰৰ প্ৰতি ভয় আৰু ভক্তিভৰা কৌতূহল এটা মনৰ কোনোবা এটি নিভৃত কোণত পুহি ৰাখিছিলোঁ। পিছত সময়ৰ সৈতে পৰৱৰ্ত্তী জীৱনত পঠন-পাঠন ডুলোটা কামত ৰত হবলগীয়া হোৱাত এই কৌতূহল দূৰ কৰিবলৈ কিছু সুবিধা মিলিল। তাৰেই ফলত 'গল্প ভাৰতী'ৰ জন্ম। শিশুমতি পঢ়ুৱৈসকলক উপনিষদ, জাতক, ভাগৱত আদি পবিত্ৰ পুথিবোৰৰ ভিতৰৰ কথাবোৰৰ এটি ক্ষুদ্ৰ আভাস দিয়া আৰু সেইবোৰৰ প্ৰতি আগ্ৰহ আৰু কৌতূহল বঢ়োৱাই ইয়াৰ উদ্দেশ্য।

ইংৰাজ শাসনৰ তলত আমাৰ শিক্ষা ক্ৰমাৎ বিজতৰীয়া হৈ আহিছিল বুলি স্বীকাৰ কৰিব লাগিবই। আমাৰ উচ্চশিক্ষিত লোকসকলে মিল্টন, বাইৰণ, কীট্‌চ্, টেনিচন, শ্বেলী, শ্বেক্সপীয়েৰ আদিৰ লেখা যিদৰে জানে, মানে আৰু ব্যৱহাৰ কৰে; ভাগৱত, পুৰাণ, মহাভাৰত, ৰামায়ণ আদিৰ কথা সেইদৰে নাজানে। ইয়াৰ কাৰণ, তেওঁলোকক সেইবোৰ শিকিবলৈ বিশেষ সুবিধা দিয়া নহৈছিল।

স্বাধীনতা পোৱাৰ পিছত শিক্ষা বিষয়ত আমাৰ হেৰোৱা ধাঁত আকৌ বিচাৰি লবৰ হৈছে। আমাৰ পুৰণি শিক্ষা আৰু সংস্কৃতি কেনে আছিল তাকে জানি নতুনৰ লগত যোগসূত্ৰ স্থাপন কৰিব পাৰিলেহে আমাৰ শিক্ষা পূৰ্ণাঙ্গ হব। এনেবোৰ ভাব অন্তৰত লৈয়েই 'গল্প ভাৰতী' ৰচনা কৰা হৈছে। শিশুসকলৰ মন-পুত আৰু হিতকৰ হলেই পৰিশ্ৰম সাৰ্থক হোৱা বুলি ভাবিম।

ছিপাঝাৰ; মঙ্গলদৈ
১৯৫১

} শ্ৰীঅতুলচন্দ্ৰ বৰুৱা

ষষ্ঠ সংস্কৰণ

'গল্প-ভাৰতী'ৰ (পুৰণি পুথিৰ সাধু) পঞ্চম সংস্কৰণ দুষ্প্ৰাপ্য হবৰ আজি দুবছৰ হ'ল। নানা কাৰণত ষষ্ঠ সংস্কৰণ উলিয়াবলৈ মন যোৱা নাছিলোঁ। পিছে, যোৱা দুয়ো বছৰতে কিতাপখন দুবাৰকৈ শিক্ষা-বিভাগৰ পৰীক্ষা-নিৰীক্ষাৰ ঘন-চালনীৰ মাজেদিও সৰকি উত্তীৰ্ণ হোৱা দেখি প্ৰকাশৰ কাৰণে ঠেলি আগবঢ়াই দিয়া হ'ল। ওপৰ ক বন্ধু স্বৰ্গীয় প্ৰেমনাৰায়ণৰ পূত স্মৃতি বিজড়িত 'মণি-মাণিক প্ৰকাশে' প্ৰকাশৰ দায়িত্ব গ্ৰহণ কৰাত কৃতাৰ্থ হৈছোঁ। এতিয়া ই ছাত্ৰবন্ধুসকলৰ উপকাৰত আহিলেই আমাৰ শ্ৰম সাৰ্থক হব।

নৰগিৰি, চানমাৰি
গুৱাহাটী-৩
১০/১/৭৩

শ্ৰীঅতুলচন্দ্ৰ বৰুৱা

চৰৈৱেতি চৰৈৱেতি :
গৈ থাকা, গৈ থাকা

(ঋগ্বেদ; ঐতৰেয় ব্ৰাহ্মণ)

বেদৰ নাম নুশুনা মানুহ নাই। সেইবুলি আকৌ বেদ ভালকৈ জনা লোকো অতি কম। বেদৰ দুটা অংশ : এটা মন্ত্ৰ, আনটো ব্ৰাহ্মণ। ব্ৰাহ্মণ অংশত মন্ত্ৰবোৰৰ বিশদ ব্যাখ্যা দিয়া আছে। ব্যাখ্যাৰ লগতে কোনো কোনো ঠাইত উদাহৰণ স্বৰূপে দুটা॰এটা আখ্যানো ওলাই পৰিছে। তাৰে এটা ইয়াতে বৰ্ণোৱা হব।

ইক্ষ্বাকু বংশৰ ৰজা হৰিশ্চন্দ্ৰ বহু কাললৈ অপুত্ৰক হৈ আছিল। তেওঁৰ পত্নী আছিল এশ গৰাকী, কিন্তু পুত্ৰ হলে এটিও নাছিল। এই কাৰণতে ৰজাৰ মনত বৰ দুখ।

এদিন হৰিশ্চন্দ্ৰ ৰজাই 'পৰ্ব্বত' আৰু 'নাৰদ' নামৰ ঋষি দুজনাৰ আগত ছেগ বুজি মনৰ খেদ বিবৰি কলে। ঋষি নাৰদে তেতিয়া কলে, "হে ৰাজন্! তুমি শুদ্ধভাৱে থাকি বৰুণ দেৱতাক স্তুতি কৰিবা। স্তুতিৰ মাজত পুত্ৰ কামনা কৰাৰ লগতে ইয়াকো কবা যে যদি পুত্ৰ-লাভ হয় তেনেহলে তুমি তাৰ দ্বাৰা যাগ-যজ্ঞ কৰিবা।" কোনো এক দেৱতাৰ নামত এটা বা অধিক বস্তু উৎসৰ্গ কৰাকে বেদত যজ্ঞ বোলে।

নাৰদৰ উপদেশ মতে ৰজাই বৰুণক স্তুতি কৰিবলৈ ধৰিলে। বৰুণ দেৱতা তুষ্ট হ'ল আৰু হৰিশ্চন্দ্ৰ ৰজাক দেখা দি পুত্ৰলাভৰ কাৰণে বৰ দিলে। বৰ দিয়াৰ সময়ত কিন্তু তেওঁ স্পষ্টকৈ কৈ গ'ল যে ৰজাই পুত্ৰ-লাভৰ পিছত সেই পুত্ৰেৰে যজ্ঞ কৰিব লাগিব।

যথাসময়ত ৰজা হৰিশ্চন্দ্ৰৰ পুত্ৰ-লাভ হ'ল। ল'ৰাটিৰ নাম ৰখা হ'ল ৰোহিত। ৰোহিতৰ জন্মৰ দিনচেৰেক পিছতেই বৰুণ আহি উপস্থিত হ'ল আৰু ৰজাক কলে, ' মহাৰাজ, তোমাৰ প্ৰতিজ্ঞামতে এতিয়া যজ্ঞ আৰম্ভ কৰা।'

হৰিশ্চন্দ্ৰ ৰজা বিমোৰত পৰিল। এফালে অপত্যস্নেহ, আনফালে নিজৰ প্ৰতিজ্ঞা ৰক্ষা। কোনটো এৰিব, কোনটো ধৰিব! খন্তেক ভাবি-চিন্তি তেওঁ স্থিৰ কৰিলে—দিন পালেই ঋণ পোৱা যায়। গতিকে দিন লৈযে চোৱা যাওক। পিছেপৰে ভাবি-চিন্তি চাই যি হয় কৰিম। এনেকৈ ভাবি তেওঁ বৰুণক কলে, "কথাটো হয়। পিছে, মোৰো পুত্ৰ জন্মিছেহে মাথোন। তাৰ এতিয়াও অশৌচ যোৱা নাই। গতিকে দহ দিন যাওক। কিয়নো দহ দিনলৈ পশু যাগৰ যোগ্য নহয়। তাৰ পিছত এটা ব্যৱস্থা কৰা যাব।" বৰুণ মান্তি হ'ল।

এদিন দুদিনকৈ দহদিন উকলিল। তেতিয়া এদিন বৰুণ আকৌ ওলালহি। তেওঁ ৰজাক কলে, "মহাৰাজ, তোমাৰ প্ৰতিজ্ঞামতে এতিয়া যজ্ঞ কৰা।"

হৰিশ্চন্দ্ৰই কলে, "এতিয়াও ত'ৰ দেখোন দাঁতেই গজা নাই। দাঁত গজিলেহে পশু যজ্ঞৰ উপযোগী হয়। উঃ! দাঁত গজিবলৈ দিয়কচোন। কিয়নো বাৰু ইমান খৰধৰখন লগাইছে?" বৰুণ এইবাৰো মান্তি হ'ল আৰু ৰাজসভাৰপৰা উঠি ঘৰলৈ গ'ল।

কালৰ চকৰি ঘূৰিয়ে থাকিল। লাহে লাহে ৰোহিতৰ দাঁত গজিল। তেতিয়া আকৌ বৰুণে এদিন আহি ৰজাক তেওঁৰ প্ৰতিজ্ঞাৰ কথা সোঁৱৰাই দিলে। ৰজাই কলে, "হে বৰুণ দেৱতা, সি এতিয়াও নিচেই সৰুই আছে। তাৰ এতিয়াও পিয়াহ খোৱা দাঁত সৰাই নাই। এই পানী-কেঁচুৰা ল'ৰা-টোৰে কি যাগ হব? তাৰ পিয়াহ-দাঁত সৰি নতুন দাঁত গজকচোন।"

বৰুণ শান্ত প্ৰকৃতিৰ দেৱতা। তেওঁ "তথাস্তু" বুলি কৈ বিদায় ললে।

চাওঁতে চাওঁতে ৰোহিতৰ পিয়াহ-দাঁতো সৰিল। নতুন দাঁত গজি আহিল। তেতিয়া, এদিন বৰুণ আহি আকৌ উপস্থিত হ'ল। বৰুণক দেখিয়ে হৰি-শ্চন্দ্ৰই সকলো বুজিলে আৰু কলে, "হে বৰুণ দেৱতা, পিছে এটা কথা নহয়। আমি হলোঁ ক্ষত্ৰিয় মানুহ। আপুনি জানেই যে ক্ষত্ৰিয়ৰ সন্তান ধনুৰ্বাণ, কৱচ আদি বহন কৰিবলৈ সক্ষম নহয় মানে ক্ষত্ৰিয় নহয়। ৰোহিতকো কৱচ ধাৰণ কৰিবলৈ দিয়কচোন! কিয়নো ইমান খতাখতিয়াখন লগাইছে? সিনো হেৰাই বা পলাই গৈছেনে?" বৰুণে এইবাৰো ভনীপুতেকক ভাবি "হব বাৰু" বুলি কৈ বিদায় ললে।

দিন যাবলৈ ধৰিলে। দিন, মাহকৈ বছৰ বাগৰিল। বছৰৰ পিছত বছৰ গ'ল। লাহে লাহে ৰোহিতেও কবচ ধাৰণ কৰি ধনুৰ্ব্বিদ্যা শিকি ললে। এনেতে এদিন বৰুণে আহি ৰজাক কলে, "মহাৰাজ, তোমাৰ ৰোহিত এতিয়া পূৰা ক্ষত্ৰিয় হৈছে। এতিয়াও জানো যজ্ঞ কৰাত তোমাৰ কিবা অসুবিধা থাকিব পাৰে?"

ৰজা বিপাণ্ডত পৰিল। অলপ পৰ তভক্ মাৰি ৰৈ থাকি তেওঁ "হৰ বাৰু" বুলি কলে আৰু ৰোহিতক সন্মুখলৈ মাতি পঠিয়ালে। ৰোহিত যেতিয়া পালেহি তেতিয়া ৰজাই কলে, "বাছা ৰোহিত, সোণ মোৰ! বৰুণৰ কৃপাত মই এদিন তোমাক লাভ কৰিছিলোঁ। এতিয়া আকৌ পূৰ্ব্বৰ কথামতে মই তোমাক তেওঁৰ উদ্দেশ্যে যজ্ঞত দিবলগীয়াত পৰিলো। হায়! হায়! মই কি হতভগা!"

পিতাকৰ কথা শুনি ৰোহিতে পোনেই কলে, "গুতো, সেইটো নহব।" এই বুলি তেওঁ ধনুৰ্ব্বাণ লৈ অৰণ্যলৈ প্ৰস্থান কৰিলে। তেওঁ অৰণ্যত সুদীৰ্ঘ এবছৰ কাল ঘূৰি ফুৰিলে, কিয় ফুৰিলে তেওঁহে জানে।

ইফালে ৰোহিত তেনেকৈ গুচি যোৱাত বৰুণৰ খঙে মূৰৰ চুলি পালেগৈ। তেওঁ ভাবিলে—এই সকলোবোৰ ৰজা হৰিশ্চন্দ্ৰৰেই চক্ৰান্ত। গতিকে পুতেকক এৰি পিতাককেই ধৰিব লাগিল। এইদৰে গুণি তেওঁ হৰিশ্চন্দ্ৰক উদৰী (জলোদৰ) ৰোগত ভুগিবলৈ অভিশাপ দিলে আৰু উভতি গুচি গ'ল।

ৰজাৰ উদৰী ৰোগ হ'ল। হাত-ভৰি শুকাই গৈ লাকুৰি যেন হ'ল। পেট বাঢ়ি গৈ মদৰ হাড়ীৰ আকৃতি ললে আৰু তাত কেইঘাগৰীমান পানী জমা হ'ল। দেখাত ৰজা তেনেই আপচু হৈ পৰিল; তেওঁ ঘৰৰপৰা বাজলৈ নোলোৱা হ'ল।

ইপিনে ৰাজাৰ এই দুৰ্দ্দশাৰ বাতৰি ইকাণ-সিকাণকৈ অৰণ্যত ভ্ৰমি ফুৰা ৰোহিতৰ কাণত পৰিল। পিতাকৰ এই দুৰৱস্থাৰ কথা শুনি তেওঁৰ অন্তৰে কান্দি উঠিল। তেওঁ স্থিৰেৰে থাকিব নোৱাৰি ঘৰলৈ বুলি খোজ ললে।

তেতিয়া ইন্দ্ৰই ভাবিলে—ৰোহিতে নিজৰ লক্ষ্য পাহৰিলে। তাৰ গুচৰলৈ যাব লাগিল। এই ভাবি তেওঁ এজন থুনুজুৰ ব্ৰাহ্মণৰ বেশত আহি ৰোহিতৰ আগত উপস্থিত হ'ল। তেওঁ ৰোহিতক উপদেশ দিয়াৰ ছলেৰে এটি সংকেতৰ গীত শুনালে। গীতটো ইমানে মৰ্ম্মস্পৰ্শী আছিল যে তাক শুনি ৰোহিত

পুনঃ ভ্ৰমণৰ কাৰণে অৰণ্যলৈ গ'ল। গীতটোৰ অৰ্থ—"হে ৰোহিত, শ্ৰান্ত নোহোৱালৈকে যেয়ে নিৰন্তৰ চলন্ত অৱস্থাত থাকে তেৱেঁহে সম্পদ পায়। এনেহুৱা হৈ বহি থাকিলে বৰলোককো পাপে শাসন কৰে। এই কথা-কেই আমি সদায় শুনি আৰু মানি আহিছোঁহক। যি চলে তেওঁৰ লগে লগে দেৱতা ইন্দ্ৰও তেওঁৰ পথৰ সাৰথি হৈ চলে। গতিকে হে ৰোহিত, চলি থাকা চলি থাকা—চৰৈৱেতি, চৰৈৱেতি" (১)

ইন্দ্ৰৰ উপদেশত ৰোহিত মুগ্ধ হ'ল। তেওঁ আকৌ এটি সুদীৰ্ঘ বছৰ ভ্ৰমণ কৰিলে। বছৰ শেষ হোৱাত পুনঃ তেওঁৰ পিতাক হৰিশ্চন্দ্ৰলৈ বৰকৈ মনত পৰিবলৈ ধৰিলে। তেওঁ আৰু বব নোৱাৰিলে। তেওঁ ঘৰলৈ উভতি খোজ ললে।

ইকালে ইন্দ্ৰই আকৌ ভাবিলে—সকলো পণ্ড হ'ল। ৰোহিতৰ মন পুনঃ বিচলিত হ'ল। তেওঁ তেতিয়া আকৌ আগৰ দৰে বামুণৰ বেশত আহি ৰোহিতক আগভেটি ধৰিলে আৰু পুনঃ এটি সংচৰণ গীত শুনালে। এইবাৰ তেওঁ গীতটোত কলে, "হে ৰোহিত, যি চলি থাকে তেওঁৰ দেহৰ শোভাও ফুলৰ দৰে প্ৰস্ফুটিত হয়। আত্মাও দিনে দিনে বিকশিত হয়। ফুৰি থকাৰ ফলতে পথশ্ৰমৰ দ্বাৰা তেওঁৰ মনৰ পাপবোৰ মৰিমুৰ হৈ শুই পৰে। গতিকে তুমিও চলি থাকা, চলি থাকা—"চৰৈৱেতি, চৰৈৱেতি'।" (২)

এইবাৰো গীত শুনি ৰোহিতৰ মন ঘূৰিলে। তেওঁ পুনঃ বনলৈ উভতিল। বনত তেওঁ আকৌ এবছৰ কটালে। বছৰ শেষ হোৱাত, পিতাকলৈ মনত পৰাত ৰোহিত আকৌ ঘৰমুৱা হ'ল। ইন্দ্ৰই এইবাৰো আগৰ দৰে আহি বাটতে ৰোহিতক লগ ধৰি কথাৰ ছলেৰে আৰু এটি গীত শুনালে। এই-বাৰো গীতৰ অৰ্থই ৰোহিতৰ অন্তৰ স্পৰ্শ কৰিলে। গীতত এইবাৰ কোৱা হৈছিল—"হে ৰোহিত, যি লোক বহি থাকে তাৰ ভাগ্যও বহি থাকে; যি উঠি থিয় হয়, তাৰ ভাগ্যও থিয় হয়; যি শুই থাকে তাৰ ভাগ্যও

(১) নানাশ্ৰান্তায় শ্ৰীৰস্তি ইতি ৰোহিত শুশ্ৰুম।
পাপো নৃষদ্বৰো জন ইন্দ্ৰ ইচ্চৰতঃ সখা।।—চৰৈৱেতি চৰৈৱেতি।

(২) পুষ্পিণ্যৌ চৰতো জংঘে ভূষ্ণুৰাত্মা-ফলগ্ৰহিঃ।
শেৰেহস্য সৰ্ব্বে পাপ্মানঃ শ্ৰমেণ প্ৰপথে হতাঃ। —চৰৈৱেতি চৰৈৱেতি।

শুই থাকে আৰু যি চলি থাকে তাৰ ভাগ্যও চলি থাকে। গতিকে প্ৰগতিশীল হোৱা; চলি থাকা, চলি থাকা—চৰৈবেতি, চৰৈবেতি।" (৩)

গীত শুনি ৰোহিতে এইবাৰো হেকৰা মনৰ বল ঘূৰাই পালে। তেওঁ পুনঃ বনলৈ যাত্ৰা কৰিলে, আৰু তাত সুদীৰ্ঘ এটি বছৰ কটালে। বছৰ শেষ হোৱাৰ লগে লগে চতুৰ্থবাৰ তেওঁ আকৌ ঘৰলৈ বুলি উভতি খোজ ললে।

ইন্দ্ৰয়ো প্ৰগতিৰ মন্ত্ৰ ৰোহিতক সম্পূৰ্ণকৈ শিকাইহে এৰিব। গতিকে তেওঁ আগৰদৰে বামুণৰ বেশত ইবেলিও পুনঃ ৰোহিতৰ আগত ওলালহি। তেওঁ এইবাৰো আৰু এটি মন্ত্ৰ, গীতৰ সুৰত ৰোহিতক শুনালে। গীতৰ অৰ্থ হ'ল—"শুই থকাটোৱেই হ'ল কলি; চকু-মুখ মোহাৰি টোপনিৰপৰা জাগি উঠি বহাটোৱেই দ্বাপৰ; উঠি থিয় হোৱাটোৱেই ত্ৰেতা আৰু চলন্ত অৱস্থাত থকাটোৱেই সত্য যুগ। গতিকে হে ৰোহিত, তুমিও সত্যৰ মন্ত্ৰৰ দ্বাৰা দীপ্ত হৈ চলি থাকা, চলি থাকা—চৰৈবেতি, চৰৈবেতি।" (৪)

এনে উদ্দীপনাপূৰ্ণ মধুৰ উপদেশ শুনি ৰোহিত এইবাৰো হাবিলৈ গ'ল। বনত আগৰ দৰেই এটি বছৰ পাৰ হোৱাত তেওঁৰ মন আকৌ ঘৰৰ কাৰণে আৰু পিতাকৰ কাৰণে চঞ্চল হৈ পৰিল। তেওঁ আকৌ ঘৰমুৱা হ'ল।

ৰোহিত ৰাজপুৰী পায় পায়। এনেতে পুৰ্বৰ দৰে ইন্দ্ৰই আহি বুঢ়া বামুণটি হৈ উপদেশৰ জোলোঙা মেলিলেহি। বামুণৰ কথা শুনি নোৱাৰি। গতিকে ৰোহিতে কাণ পাতি শুনিলে। ব্ৰাহ্মণবেশী ইন্দ্ৰই এইবাৰো কথাৰ ছলেৰে গীত এটি গাই তাতেই ৰোহিতক কলে, "চলন্ত লোকেহে মধু লাভ কৰে; অৰ্থাৎ চলাটোৱেই হৈছে অমৃত লাভ আৰু তাৰ সুস্বাদু (উদুম্বৰ) ফল লাভ। যি সূৰ্য্যই সদা-সৰ্ব্বদা অবিৰাম বিচৰণ কৰিও তন্দ্ৰা বা এলাহ অনুভৱ নকৰে তেওঁৰ মাহাত্ম্য চোৱা। গতিকে হে ৰোহিত, তুমিও চলি থাকা, চলি থাকা—চৰৈবেতি, চৰৈবেতি।" (৫)

---

(৩) আস্তে ভগ আসীনস্যোৰ্দ্ধ্বস্তিষ্ঠতি তিষ্ঠতঃ।
শেতে নিপদ্যমানস্য চৰাতি চৰতো ভগঃ॥—চৰৈবেতি চৰৈবেতি।

(৪) কলিঃ শয়ানো ভৱতি সংজিহানস্তু দ্বাপৰঃ।
উত্তিষ্ঠংস্ত্ৰেতা ভৱতি কৃতং সম্পদ্যতে চৰন্॥—চৰৈবেতি, চৰৈবেতি।

(৫) চৰন্বৈ মধু বিন্দতি চৰন্স্বাদুমুদুম্বৰম্।
সূৰ্য্যস্য পশ্য শ্ৰেমাণং যো ন তন্দ্ৰয়তে চৰন্॥—চৰৈবেতি চৰৈবেতি।

ষষ্ঠ বছৰৰ বাবে এইবাৰো ৰোহিত বনলৈ উভতিল। বনত গৈ তেওঁ এইবাৰ গৰু পুহিবলৈ ললে। গৰুৰ লগতে নিতে ঘূৰি ফুৰে। এদিন গৰু ৰাখি থকোঁতে অজ গৰ্ত্ত নামৰ ঋষি এজনক পালে। অজীগৰ্ত্তৰ তিনি পুত্ৰ— শুনঃপুচ্ছ, শুনঃশেপ আৰু শুনোলাঙ্গুল। কি মনত খেলিলত জানো, ৰোহিতে ঋষিক কলে, "মহৰ্ষি, আপোনাৰ তিনিটি পুতেক। তাৰে যদি মোক এটা দিয়ে তেন্তে মই মোৰ এই এশ গৰু আপোনাক দিম, আৰু সেই ল'ৰাটো দি মযো নিজে ঋণমুক্ত হমগৈ।"

ঋষিয়ে এতিয়া এশ গৰুৰ লোভ এৰিব নোৱাৰে, পুত্ৰৰ মমতাও এৰিব নোৱাৰে। তেওঁ তেতিয়া বৰ পুতেকৰ হাতত ধৰি কলে 'মই ইয়াক এৰি দিব নোৱাৰো"। ঋষি পত্নীও লগতে আছিল। তেৰোঁ তৎক্ষণাৎ কণিষ্ঠ পুত্ৰৰ হাতত ধৰি কলে, "ময়ো ইয়াক দিব নোৱাৰো।" তেতিয়া উভয়ে মাজু পুতেক শুনঃশেপকেই এৰি দিলে। শুনঃশেপৰ সলনি ঋষিয়ে এশটা গৰু পালে। সে যুগত গৰু আছিল গিৰিহঁতৰ সবাতোকৈ মূল্যৱান সম্পত্তি।

ৰোহিতে শুনঃশেপক লগত লৈ সুদীৰ্ঘ ছবছৰৰ মূৰত ঘৰলৈ উভতিল। বাটত এইবাৰ কোনেও কতো বিঘিনি নিদিলে। ৰজা হৰিশ্চন্দ্ৰই ইমান দিনৰ মূৰত স্বত পুত্ৰ ৰোহিতক দেখি হাততে স্বৰ্গ চুকি পোৱাদি পালে।

ৰোহিতে পিতাকক কলে, "পিতা, মই এওঁকেই যজ্ঞত মোৰ পৰিবৰ্ত্তে দিবলৈ আনিছো। এওঁক দি মই আপোনাক ঋণমুক্ত কৰি দিম। তেতিয়া আপোনাৰ ৰোগ ভাল হব, পুত্ৰও বৈ যাব।"

ৰোহিতৰ কথা শুনি ৰজা হৰিশ্চন্দ্ৰই বৰুণ দেৱতাক আৰাধনা কৰিবলৈ ধৰিলে। বৰুণ ওলালহি। হৰিশ্চন্দ্ৰই পোনেই বৰুণক কলে, "হে দেৱতা এই ল'ৰাটোকেই মই তোমাৰ অৰ্থে যজ্ঞত উৎসৰ্গ কৰিম, হবনে?"

বৰুণে ভাবিলে- সমূলি নোহোৱাতকৈ বাৰু সিও বহু ভহ। এনেকৈ ভাবি তেওঁ তাতেই মান্তি হ'ল।

যথা সময়ত যজ্ঞ আৰম্ভ হ'ল। যজ্ঞত যজন কৰিবৰ কাৰণে শুনঃশেপক সাজু কৰি বান্ধি অনা হ'ল। শুনঃশেপে দেখিলে সঁচাসঁচিকৈয়ে এতিয়া তেওঁ যজ্ঞৰ বলি হয়। তেওঁ তেতিয়া ভাবিলে—ময়ো ৰজি ঋষিৰ সন্তান হৈ তেনেহলে মোৰ মৃত্যু এনেধৰে কেতিয়াও হব নোৱাৰে। এইদৰে ভাবি গুণি তেওঁ প্ৰজাপতি, অগ্নি, সবিতা, বৰুণ, বিশ্বদেৱ, ইন্দ্ৰ, উষা আদি দেৱ-

দেৱীক প্ৰাণভিক্ষা কৰি কাতৰভাৱে [illegible]। দেৱ-দেৱীসকল শুনঃ-শেপৰ স্তুতিত তুষ্ট [illegible] গাবলৈ ধাবাৰ লগে লগে [illegible] ভবিৰ বন্ধন মুকলি হ'ল। [illegible] দেখা দি ক'লে যে তেওঁলোক সকলোৱে [illegible] পৰম সন্তোষ লভিছে। বৰুণ দেৱতায়ো অতিশয় সন্তুষ্ট হৈ হৰিশ্চন্দ্ৰ ৰজাক উদৰী ৰোগৰপৰা মুক্তি দিলে। সকলো ঠাইতে শান্তি বিৰাজ কৰিলে।

সত্যকাম

(ছান্দোগ্য উপনিষদ)

মাক জবালাৰ এটি মাত্ৰ পুত্ৰ আছিল, নাম—সত্যকাম। সত্যকাম তেতিয়া নিচেই সৰু ল'ৰা, বয়স ৮।৯ বছৰৰ বেছি নহয়। এদিন মনত কি এটা ইচ্ছা জাগিলত সত্যকাম দোক-মোকালিতে শুই উঠিল আৰু মাকৰ ওচৰলৈ গ'ল। মাক জবালাই তেতিয়া ঘৰৰ বাহী-বন কৰি আছিল। তেওঁ অতি চেনেহেৰে সাবটি লৈ সত্যকামৰ হাত-মুখ ধুৱাই দিলে। সত্যকামে তেতিয়া কলে, "আই, আই, মই গুৰুৰ ওচৰলৈ গৈ ব্ৰহ্মচৰ্য্য ধৰি ব্ৰহ্মবিদ্যা শিকিব খোজোঁ। মোৰ গোত্ৰ কি?"

সেই সময়ৰ শিক্ষা বেলেগ ধৰণৰ আছিল। তেতিয়া ছাত্ৰই গুৰুৰ ঘৰত থাকি ব্ৰহ্মচৰ্য্য পালন কৰি বিদ্যা শিকিব লাগিছিল। সকলোৱে তেতিয়া জানিছিল যে গোত্ৰ নোসোধাকৈ গুৰুৱে কাকো ছাত্ৰ হিচাপে গ্ৰহণ নকৰে, আৰু গুৰুৰ ওচৰলৈ প্ৰথমে যাওঁতে শুকান খৰি একোছা লৈ যাব লাগে।

জবালাই পুতেকৰ কথাৰ উত্তৰত অতি সৰলভাৱে কলে, "বাছা, তুমি কোন গোত্ৰৰ মই ক'ব নোৱাৰোঁ। যৌৱনকালত দাসীবৃত্তি ধৰি বহুত ঠাইত বহুতক পৰিচৰ্য্যা কৰি ফুৰোঁতে মই তোমাক লাভ কৰিছিলোঁ। সেই কাৰণে তুমি কোন গোত্ৰৰ মই নাজানিলোঁ। মই ইয়াকে মাথোঁ জানো যে মোৰ নাম জবালা আৰু তোমাৰ নাম সত্যকাম। সেইবাবে তুমি তোমাৰ বিষয়ে আত্মক সত্যকাম-জাবাল বুলি চিনাকি দিব পাৰা।"

পুণ্য-সলিলা সৰস্বতী নৈৰ দাঁতিত সেই সময়ত হাৰিদ্ৰুমত গৌতম নামে এজন ঋষিয়ে আশ্ৰম পাতি আছিল। সেই আশ্ৰম সত্যকামৰ ঘৰৰ-পৰা বৰ বেছি দূৰত নহয়। সত্যকামে ইয়াৰ কথা মানুহৰ মুখত শুনি আছিল আৰু ভিক্ষা কৰিবলৈ অহা আশ্ৰমবাসী ছাত্ৰবোৰ মাজে-সময়ে দেখিছিল।

সেইদিনা বাতিপুৱা ঋষিয়ে ছাত্ৰসকলৰ মাজত বহি তেওঁলোকক শিক্ষা উপদেশ দি আছিল। ওচৰতে আছিল একুৰা জুই। আশ্ৰমত ছাত্ৰসকলে ইয়াক জলাই ৰাখিবলৈ খৰি-লুৰি আনিব লাগে। এই জুই থকা হেতুকেই বাঘ-ভালুক ৰণুৱা, জন্তুৰে আহি আশ্ৰমৰ গৰু-ছাগলী, হৰিণ-ম'ৰাকে আদি একো উপদ্ৰৱ কৰিব নোৱাৰিছিল। সেইদিনা শিষ্যবৰ্গৰ দ্বাৰা পৰিবেষ্টিত হৈ ঋষি সেইদৰে বহি থাকোঁতে কান্ধত খৰি একোছা লৈ সত্যকাম আহি ওলালহি। ঋষিয়ে শুকান খৰি লৈ অহা বালকক দেখি একো বুজিব পাৰিলে।

সত্যকামে কান্ধৰ খৰিকোছা নমাই থৈ ঋষিক সেৱা জনাই ক'লে, "ভগৱন্, মই ব্ৰহ্মবিদ্যা শিকিবলৈ আপোনাৰ ওচৰলৈ আহিছোঁ। কৃপা কৰি মোক আপোনাৰ ছাত্ৰ হ'বলৈ অনুমতি দিবনে?"

ইমান কোমল বয়সীয়া শিশু এটা ব্ৰহ্মবিদ্যা শিকিবলৈ অহা দেখি ঋষিৰ আন ছাত্ৰসকল আচৰিত হ'ল। সিহঁতে সত্যকামৰ কালে একেথিৰে চাই থাকিল। তেতিয়া ঋষিয়ে সুধিলে, "হে সৌম্য, তোমাৰ গোত্ৰ কি?"

সত্যকামে উত্তৰ দিলে, "আৰ্য্য, মোৰ গোত্ৰ কি সেইটো মই নাজানো। আইকো সুধিছিলোঁ। তেওঁ মোক এইবুলি ক'লে, 'বাছা, তুমি কোন গোত্ৰৰ মই ক'ব নোৱাৰোঁ। যৌৱনকালত দাসীবৃত্তি কৰি বহুত ঠাইত বহুতৰ পৰিচৰ্য্যা কৰি ফুৰোঁতে মই তোমাক লাভ কৰিছিলোঁ। এই কাৰণে তুমি কোন গোত্ৰৰ মই নাজানিলোঁ। মই ইমানকে জানো যে মোৰ নাম জবালা আৰু তোমাৰ নাম সত্যকাম। সেইকাৰণে তুমি তোমাৰ বিষয়ে মাত্ৰ সত্যকাম জাবাল বুলি চিনাকি দিবা। এই কাৰণে ভগৱন্, মোৰ নাম সত্যকাম জাবাল।'"

এনেই বাটৰ পৰা তাকে আকৌ [illegible] কোন, [illegible] [illegible] [illegible] আহিছে ব্ৰহ্মবিদ্যা শিকিবলৈ। ইমান বয়সতো [illegible] [illegible] [illegible] ওলোৱা! কথাবোৰ ভাবি ঋষি থকেক মৌন হৈ থাকিল।

[illegible] [illegible] [illegible] ইয়াকে [illegible] শিষ্যসকল [illegible] তাপলুৱা কথা সিহঁতে বুজি চাই [illegible] [illegible] [illegible]

গুৰুৰ ভয়ত কোনেও হ'লে ফুটাই এষাৰো নকলে। মহৰ্ষিয়ে নো কি কয় তাকে শুনিবলৈ সকলোৰে আগ্ৰহ জন্মিল।

অলপ পিছতেই ঋষিৰ মুখ উজ্জ্বল হৈ উঠিল। তেওঁ যেন হঠাৎ কিবা এক নতুন তথ্যহে আবিষ্কাৰ কৰিলে। সত্যকামৰ মূৰত ধৰি আশীৰ্বাদ দি তেওঁ কলে, তুমি অব্ৰাহ্মণ নোহোৱা বৎস! সত্য কথা কি ইমান স্পষ্টভাৱে ক'ব পাৰে তেৰেঁই ব্ৰাহ্মণ। সত্যৰপৰা বিচলিত নোহোৱা কাৰণেই মই তোমাক শিষ্যৰূপে গ্ৰহণ কৰিম।" ইয়াকে কৈ ঋষিয়ে সত্যকামক উপনয়ন* দি শিষ্য পাতিলে।

সত্যকাম আশ্ৰমত থাকিল।

আশ্ৰমৰ ছাত্ৰসকলৰ ওপৰত বেলেগ বেলেগ কামৰ ভাৰ দিয়া থাকে। কোনোৱে হোমৰ কাঠ যোগাৰ কৰে, কোনোৱে আলহী-অতিথিৰ আল-পৈচান ধৰে, কোনোৱে গুৰুৰ পৰিচৰ্য্যা কৰে, আৰু অন্য কোনোৱে বা ভিক্ষা কৰি আনে—ইত্যাদি।

এদিন মহৰ্ষি গৌতমে আশ্ৰমৰ গৰুবোৰৰ পৰা লেবেলা-চেপেটা ধৰণৰ চাৰি শ গৰু বাছি আনি কলে, "বৎস সত্যকাম, আশ্ৰমৰ এই চাৰি শ গৰু উপযুক্ত খাদ্য-পানীৰ অভাৱত শুকাই-খীণাই চেৰেলা হৈ গৈছে। আজিৰ পৰা মই ইহঁতৰ আলপৈচানৰ ভাৰ তোমাৰ ওপৰত দিলোঁ। তুমি আজি ইহঁতক আশ্ৰমৰ বাহিৰ কৰি নিয়া. আৰু ইহঁতৰ সংখ্যা বাঢ়ি গৈ এহেজাৰ নহয় মানে ঘূৰাই নানিবা।"

গুৰুৰ আদেশ মতে গৰু চাৰি শ খেদি লৈ সত্যকাম আশ্ৰমৰ বাহিৰ হ'ল। তেতিয়াৰেপৰা তেওঁ সেই বনৰীয়া কামতেই মনপ্ৰাণ সঁপি দিলে। দিনত হাবিয়ে-বনে গৰুৰ [illegible] ঘূৰি ফুৰে আৰু ৰাতি হ'লে [illegible] [illegible] [illegible] [illegible] ৰাতি লৈ [illegible] জুই এহুৰা ধৰি [illegible] পহৰা দিয়ে। [illegible] [illegible] পানী আৰু [illegible] বনৰ ফল-মূল—ইয়াকে আহাৰেই তেওঁ জীৱন ধাৰণ কৰিবলৈ ধৰিলে।

[illegible]

* উপনয়ন—[illegible]

নিজক সম্পূর্ণভাৱে নিৰত ৰাখিলে। মৰমৰ মাক জবালা আৰু পূজনীয় গুৰু গৌতমৰ কথাও যেন তেওঁ নাহে নাহে পাহৰি যাবলৈ ধৰিলে। গৰুকেইটাই হ'ল তেওঁৰ তপ-জপ-ধ্যান-উপাসনা সকলো। সিইতৰ বাহিৰে যেন তেওঁৰ আৰু ভাবিবলৈ অইন একো নোহোৱা হৈ পৰিল।

এনেকৈ এনিশা জুই ধৰি লৈ গৰুবোৰৰ পিঠিত হাত বুলাই মৰম কৰি থাকোঁতে তাৰে এটা ষাঁড় গৰুৱে যেন তেওঁক মাতি উঠিল, "সত্যকাম, সত্যকাম!"

সত্যকামে সবিস্ময়ে উত্তৰ দিলে, "কওক ভগৱন্!"

ষাঁড়টোৱে কলে, "হে সৌম্য, আমাৰ সংখ্যা বাঢ়ি গৈ এহেজাৰ হৈছে। আমাক আশ্ৰমলৈ লৈ ব'লা, বৎস।"

সত্যকামে গণনা কৰি চাই দেখে ষাঁড়ৰ কথা সঁচা, গৰুৰ সংখ্যা এহেজাৰ হৈছে। তেওঁ একো ক'বলৈ নৌ-পাওঁতেই ষাঁড়টোৱে আকৌ কলে, "সত্যকাম, মই তোমাক চতুষ্পাদ ব্ৰহ্মৰ এক পদৰ কথা কওঁ শুনা।"

ষাঁড়ৰ কথাৰ সত্যতাই ইতিপূৰ্ব্বে সত্যকামক তবধ লগাই থৈছিল। অযাচিতেই এইবাৰ পুনঃ ষাঁড়টোৱে তেওঁক ব্ৰহ্মজ্ঞান দিব খোজাত তেওঁৰ অন্তৰ বিস্ময় আৰু আনন্দত নাচি উঠিল। তেওঁ অতি আগ্ৰহেৰে আৰু সতৰ্কভাৱে উত্তৰ দিলে, "কওক ভগৱন্!"

ষাঁড়টোৱে তেতিয়া ক'বলৈ ধৰিলে, "চতুষ্পাদ ব্ৰহ্মৰ এক অংশ হৈছে পূবদিশ, এক অংশই পশ্চিম, এক অংশই উত্তৰ আৰু এক অংশই দক্ষিণ। এই চাৰি অংশই মিল হৈ চতুষ্পাদ ব্ৰহ্মৰ এক পদ হয়। চাৰিও দিশত প্ৰকাশ হৈ বিৰাজ কৰা কাৰণে ব্ৰহ্মৰ এই পদৰ নাম হ'ল—প্ৰকাশৱান পদ। হে সৌম্য, যি লোকে ব্ৰহ্মৰ এই প্ৰকাশৱান পদৰ কথা জানি তাৰ প্ৰভাৱে উপাসনা কৰে, তেওঁ ইহলোকত প্ৰখ্যাত হয় আৰু পৰলোকতো দেৱলোকক আদি কৰি প্ৰকাশৱান লোকসমূহ জয় কৰে। অগ্নিয়ে তোমাক চতুষ্পাদ ব্ৰহ্মৰ দ্বিতীয় পদৰ কথা ক'ব।

ইয়াকে কৈ ষাঁড়টো মৌন হ'ল।

[illegible] সত্যকামে ষাঁড়ৰ কথামতে [illegible] চাৰিওফালে [illegible] [illegible] [illegible] [illegible] বিধান [illegible] উত্তৰ [illegible] [illegible] চতুষ্পাদ ব্ৰহ্মৰ [illegible] বুজি পালে।

বেলি গ'ল। সত্যকামে আশ্ৰমৰ অভিমুখে গৰুবোৰ খেদি লৈ যাবলৈ ধৰিলে। গৰুবোৰ তেওঁ কিছুদূৰ খেদি নিয়ে আৰু ঘাঁহনি দেখিলে তাতে আকৌ কিছু সময় চৰিবলৈ দিয়ে। এইদৰে গৈ থাকোঁতে থাকোঁতে বেলি পৰিল। লাহে লাহে সন্ধিয়া লাগিল। সত্যকামে মুকলি পথাৰ এখনত জুই একুৰা ধৰি লৈ তাৰে চাৰিওকাষে গৰুবোৰ বান্ধিলে আৰু পূবৰ ফালে মুখ কৰি জুইৰ ওচৰত নিজেও বহিল।

এনেকৈ বহি লৈ জুইৰ ফালে এবাৰ চাওঁতে জুইৰ মাজৰপৰা কোনোবাই যেন তেওঁক মাতি উঠিল, "সত্যকাম, সত্যকাম!

আচৰিত হৈ সত্যকামে ইবেলিও উত্তৰ দিলে, "ভগৱন্!"

"মই তোমাক চতুষ্পাদ ব্ৰহ্মৰ এক পদৰ কথা কওঁ শুনা।"

"কওক, ভগৱন্।"

"চতুষ্পাদ ব্ৰহ্মৰ এক অংশই হৈছে পৃথিৱী, এক অংশই বায়ুমণ্ডল, এক অংশই আকাশ আৰু এক অংশই সমুদ্ৰ। এই চাৰি অংশ মিলি এক পদ হয়। অন্তহীন কাৰণে চতুষ্পাদ ব্ৰহ্মৰ এই পদৰ নাম হ'ল'—অনন্তৱান পদ। হে সৌম্য যিয়ে ব্ৰহ্মৰ অনন্তৱান পদক জানি লৈ শ্ৰদ্ধাভাৱে আৰাধনা কৰে ইহজনমত তেওঁৰ বংশ অনন্ত কাললৈ বাঢ়ি গৈ থাকে আৰু পৰলোকতো তেওঁৰ অক্ষয় লোকসমূহ জয় কৰে। ৰাজহংসই তোমাক চতুষ্পাদ ব্ৰহ্মৰ তৃতীয় পদৰ কথা ক'ব, সৌম্য।"

অগ্নিৰ কথা শেষ হ'ল। সত্যকামে এই কথাবোৰকে গুণি-গাঁথি নিশাটো কটালে।

ৰাতি পুৱালত তেওঁ আকৌ আশ্ৰমৰ অভিমুখে গৰুবোৰ খেদি নিবলৈ ধৰিলে। গৈ থাকোঁতে থাকোঁতে সেই দিনাও গধূলি হ'ল। সত্যকামে হাবিৰ দাঁতিৰ মুকলি ঠাই এডোখৰত জুই একুৰা ধৰি লৈ তাৰ চাৰিওকাষে গৰুবোৰ বান্ধি সতৰ্কভাৱে পহৰা দি থাকিল।

ৰাতি গহীন হৈ অহাৰ লগে লগে ক'তো কাৰো সাৰ-সুৰ নোহোৱা হ'ল। গৰুবোৰে মহা আয়েসেৰে ঘাঁহ পাগুলিয়াবলৈ ধৰিলে। এনেতে নিশাৰ নিকুটি নিস্তব্ধতা ভেদ কৰি ৰাজহাঁহ এটা কোনোবা দিশৰপৰা উৰি আহিল আৰু ওচৰৰ গছ এজোপাত পৰি সত্যকামক মাতিলে, "সত্যকাম, সত্যকাম!"

এইবাৰো সত্যকামে উত্তৰ দিলে, "ভগৱন্ !"

"মই তোমাক চতুষ্পাদ ব্ৰহ্মৰ এক পদৰ কথা কওঁ শুনা, সৌম্য।"

"কওক প্ৰভো!" সত্যকামে কলে।

চতুষ্পাদ ব্ৰহ্মৰ এক অংশই হৈছে অগ্নি, এক অংশই সূৰ্য্য, এক অংশই চন্দ্ৰ আৰু এক অংশই বিদ্যুৎ। এই চাৰি অংশই মিলি ব্ৰহ্মৰ এক পদ সম্পূৰ্ণ হয়। চতুষ্পাদ ব্ৰহ্মৰ এই পদৰ নাম হ'ল—জ্যোতিষ্মান পদ। যি জানে আৰু শ্ৰদ্ধাৰে পূজা কৰে, তেওঁ ইহ-জগতত জ্যোতিষ্মান্ হৈ বিৰাজ কৰে আৰু পৰলোকতো চন্দ্ৰ-সূৰ্য্যাদি জ্যোতিষ্মান্ লোকসকলক জয় কৰে। মদ্গু নামৰ জলচৰ পক্ষীয়ে তোমাক চতুষ্পাদ ব্ৰহ্মৰ চতুৰ্থ পদৰ বিষয়ে ক'ব, সৌম্য।"

ইয়াকে কৈ ৰাজহাঁহটো আকৌ কোনোবা ফালে উৰি গুচি গ'ল।

ৰাতি পুৱালত আগৰ দৰেই সত্যকামে আশ্ৰমৰ অভিমুখে গৰুবোৰ খেদি লৈ যাবলৈ ধৰিলে। আশ্ৰমলৈ কিছু দূৰ থাকোঁতেই সেইদিনাও বেলি পৰিল। সন্ধ্যা লগাত সত্যকামে গৰুবোৰ হাবিৰ দাঁতিৰ মুকলি ঠাই এডোখৰত ৰাখি জুই ধৰি লৈ পহৰা দি থাকিল।

ৰাতি বহুত হ'লত সেই দিনাও এটা জলচৰ চৰাই উৰি আহি ওচৰৰ এজোপা গছত পৰিল। এয়ে ৰাজহংসই কোৱা মদ্গু পক্ষী। সত্যকামে চৰাইটোলৈ একেথৰে চাই থাকিল। অলপ পৰ বৈ চৰাইটোৱে সত্যকামক মাতি উঠিল, "সত্যকাম, সত্যকাম!"

আগৰ দৰেই সত্যকামে উত্তৰ দিলে, "ভগৱন্ !"

"মই তোমাক চতুষ্পাদ ব্ৰহ্মৰ এক পদৰ কথা কওঁ শুনা, সৌম্য!"

"কওক প্ৰভো!" সত্যকামে কলে।

"চতুষ্পাদ ব্ৰহ্মৰ এক অংশই হৈছে প্ৰাণ, এক অংশই চক্ষু, এক অংশই কাণ আৰু এক অংশই মন। এই চাৰি অংশ মিলি ব্ৰহ্মৰ এক পদ হয়। আয়তন বা আশ্ৰয় থকা হেতুকে ব্ৰহ্মৰ এই পদৰ নাম হ'ল—আয়তনৱান পদ। হে সৌম্য! ইয়াক যি আয়তনৱান-বুলি জানে আৰু শ্ৰদ্ধাৰে পূজা কৰে তেওঁ এই পৃথিৱীত আয়তনৱান অৰ্থাৎ উপযুক্ত আশ্ৰয়-বিশিষ্ট হয় আৰু পৰলোকতো আয়তনৱান লোকসমূহ জয় কৰে।"

ইয়াকে কৈ মদ্গু পক্ষীও উৰি গুচি গ'ল।

ৰাতি পুৱালত ইবেলি সত্যকামে গৰুবোৰ খেদি নি গুৰুৰ আশ্ৰম পালেগৈ। মহৰ্ষি গৌতমে ইমান দিনৰ পিছত তেওঁৰ প্ৰিয় শিষ্য সত্য-কামক দেখি মনত বৰ হৰিষ পালে। গৰুবোৰলৈ চাই তেওঁ দেখে যে সিঁহত আৰু আগৰ সেই লেবেলা-চেপেটা চাৰি শ আধামৰা গৰু হৈ থকা নাই। চালে চকু-ৰোৱা সুস্থ-সবল নিপোটল এহেজাৰ গৰু হৈ পৰিছে।

ঘৰমতে পমি গৈ তেওঁ সত্যকামৰ ফালে পুনৰ মুখ ঘূৰাই চালে; তেওঁ যেন দেখিলে—সত্যকামৰ মুখত জ্ঞানৰ দিব্য কান্তি বিৰিঙি পৰিছে। তেওঁ ততালিকে সুধিলে, "বৎস সত্যকাম, তোমাক দেখোন মোৰ ব্ৰহ্মবিদ্ ব্ৰহ্মৰ্ষি যেন লাগিছে! তোমাক ব্ৰহ্মবিদ্যা শিকালে কোনে, সৌম্য?"

সত্যকামে অতি নম্ৰভাৱে কলে, "মানুহত বাহিৰে অইনে, গুৰুদেৱ! কিন্তু মই জ্ঞানী লোকসকলে কোৱা শুনিছোঁ যোলে হেনো গুৰুৰপৰা শিকা বিদ্যাহে প্ৰকৃত বিদ্যা, আৰু সিহে কাৰ্য্যকৰী হয়। গতিকে হে ভগৱন্, আপুনি কৃপা কৰি মোক সম্পূৰ্ণ ব্ৰহ্মজ্ঞান দান কৰক।"

ইয়াকে শুনি মহৰ্ষি গৌতমৰ মন আনন্দ আৰু কৌতূহলত নাচি উঠিল। তেওঁ সত্যকামৰপৰা কেনেকৈ কাৰপৰা কি শিকিলে জানিব পাৰি কলে, "হে সৌম্য, ব্ৰহ্মৰ বিষয়ে জানিবলৈ তোমাৰ আৰু একো বাকী নাই। তোমাৰ নিৰ্মল আৰু পবিত্ৰ অন্তৰত প্ৰকৃতিৰ বেলেগ বেলেগ বস্তুৱে যি জ্ঞান দি গ'ল—তাতকৈ উজ্জ্বল জ্ঞান আৰু একো নাই। তুমি সাধনাত সিদ্ধি লাভ কৰিছা, তুমিহে প্ৰকৃত ব্ৰহ্মবিদ্ ঋষি।" ইয়াকে কৈ তেওঁ সত্যকামক বিদায় দিলে।



দ-দ-দ

(বৃহদাৰণ্যক উপনিষদ)

সৃষ্টি-পাতনিৰ কথা। প্ৰজাপতি ব্ৰহ্মাই তিনি শ্ৰেণীৰ জীৱ প্ৰথমে সৃষ্টি কৰিলে—দেৱতা, মানৱ আৰু অসুৰ। তিনিওৰে তেওঁ হ'ল উমৈহতীয়া পিতৃ। যেতিয়া সিহঁতৰ বিদ্যা-শিক্ষাৰ বয়স হ'ল, তেতিয়া সিহঁত সকলোটিয়ে মিলি এদিন প্ৰজাপতিৰ ওচৰলৈ গ'ল আৰু ক'লে, "পিতা, লাহে লাহে আমি ডাঙৰ হৈ আহিছোঁ। আমাক উপযুক্ত শিক্ষা দিয়ক।"

পুত্ৰেকহঁতে নিজ-আগে বিদ্যা শিকিবলৈ আগ্ৰহ দেখুৱা দেখি প্ৰজাপতিৰ মনত ৰং লাগিল। তেওঁ তিনিওকে প্ৰথমে ব্ৰহ্মচৰ্য্য পালন কৰিবলৈ ক'লে। কাৰণ, ব্ৰহ্মচৰ্য্য পালন নকৰিলে ছাত্ৰৰ মেধাশক্তি নাবাঢ়ে আৰু প্ৰতিভা ফুটি নোলায়। সেই হেতুকে সিহঁতেও পিতাকৰ উপদেশমতে ব্ৰহ্মচৰ্য্য পালন কৰিবলৈ ধৰিলে।

এইদৰে বহুত দিন গ'ল। সিহঁতে তেতিয়া এদিন ভাবিলে যে সিহঁত ব্ৰহ্মচৰ্য্য ব্ৰতত কৃতকাৰ্য্য হৈছে; প্ৰজাপতিৰপৰা আদেশ আৰু উপদেশ মাথোন গ্ৰহণ কৰিবলৈ এতিয়া বাকী। সেইবাবে সকলোৱে প্ৰজাপতিৰ ওচৰলৈ গৈ তেওঁৰপৰা অনুশাসন লবলৈ স্থিৰ কৰিলে। কিন্তু সকলো-কেতো একে ধৰণৰ উপদেশ নালাগে। গতিকে একেলগে 'নগৈ' বেলেগে বেলেগে যোৱাটো স্থিৰ হ'ল।

প্ৰথমে গ'ল দেৱতাসকল। তেওঁলোকে গৈ প্ৰণাম কৰাই ক'লে, "ভগৱন্, ব্ৰহ্মচৰ্য্য ব্ৰতত আমি কৃতকাৰ্য্য হৈছোঁ। এতিয়া আমাক উপ-দেশ দি কৰ্তব্য শিকোৱা কৰক।"

কথা শুনি প্ৰজাপতিৰ মুখেৰে মাথোন এটা শব্দ উচ্চাৰণ কৰিলে—'দ'; আৰু অলপ পৰ ৰৈ সুধিলে, "বুজিলানে তোমালোকে?"

দেৱতাসকলে একেমুখে উত্তৰ দিলে, "হয়, ভগৱন্, বুজিলোঁ।"

"কি বুজিলা?"

"ভগৱন্, আপুনি কৈছে— 'দ'—অৰ্থাৎ দাম্যত; তাৰ অৰ্থ দমন কৰা। আমি দেৱতাবিলাক স্বভাৱতে বিলাসপৰায়ণ, ভোগাসক্ত আৰু অজিতেন্দ্ৰিয়। আমি নিজক সকলোতকৈ সুখী আৰু জ্ঞানী বুলি অভিমান কৰোঁ। কোনো কামতেই নিজক দমন কৰি চলিব নাজানো। সেই দেখি আপুনি আমাক উপদেশ দিলে— 'দ'—দাম্যত—অৰ্থাৎ দমন কৰি চলিবা।"

দেৱতাসকলৰ উত্তৰ শুনি প্ৰজাপতিয়ে বৰ সুখী হৈ কলে, 'ঠিক বুজিছা। যোৱা, আজিৰপৰা এই উপদেশ মানি চলিবা। তোমালোকৰ মঙ্গল হ'ব।"

এনেদৰে কৃতকাৰ্য্যতা লভি দেৱতাসকলৰ অন্তৰ আনন্দত পোখিয়াবলৈ লাগিল। তেওঁলোকে প্ৰজাপতিক প্ৰণাম জনাই বিদায় ললে।

ইয়াৰ পিছত এদিন মানৱসকল প্ৰজাপতিৰ ওচৰলৈ গ'ল। তেওঁলোকে ঐ প্ৰজাপতিক সেৱা জনাই কলে, "ভগৱন্, আমিও ব্ৰহ্মচৰ্য্য সাং কৰিছোঁ। আমাকো আপুনি উপদেশ দিয়ক।"

এইবাৰো প্ৰজাপতিয়েই গহীনাই ক'লে—'দ'। তাৰপিছত তেওঁ মানৱসকলক সুধিলে, "বুজিলানে তোমালোকে?"

মানৱসকলে এক বাক্যত উত্তৰ দিলে, "হয়, ভগৱন্ বুজিলোঁ।"

"কি বুজিলা বাৰু?"

"আপুনি আমাক কৈছে—'দ'—অৰ্থাৎ 'দত্ত'; তাৰ অৰ্থ দিয়া, দান কৰা। আমি মানৱসকল স্বভাৱতে কৃপণ আৰু লোভপৰায়ণ। আমি ছলে-বলে-কৌশলে আনক শোষণ কৰিব খোজোঁ। আমাৰ এই পাপ-বৃত্তিলৈ লক্ষ্য কৰি আপুনি আমাক কৈছে—'দ'—দত্ত, অৰ্থাৎ দান কৰা, নিজৰ সঞ্চিত সম্পত্তিক সমাজৰ মঙ্গলৰ হকে বিকাই দিয়া। ইয়াকে আপুনি উপদেশ দিছে।"

প্ৰজাপতিয়ে মানৱসকলৰ কথাত সন্তোষ পাই কলে, "ঠিক বুজিছা; যোৱা। সেইমতে কাম কৰিবা, তোমালোকৰ মঙ্গল হ'ব।"

মানৱসকলে প্ৰজাপতিক আঠু কাঢ়ি সেৱা জনালে আৰু উল্লাসিত হৈ তেওঁলোকো ঘূৰি আহিল।

এইবাৰ অসুৰবিলাকৰ পাল পৰিল। সিহঁতো ব্ৰহ্মচাৰী সাজ হৈ প্ৰজাপতি দেৱতাৰ ওচৰলৈ গ'ল, আৰু প্ৰণতি জনাই কলে, "ভগৱন্,

ব্ৰহ্মচৰ্য্য ব্ৰত পালি থাকোঁতে আমাৰো বহুত দিন গ'ল। আমিও তাত পটুতা লভিছোঁ। এতিয়া আমাক উপদেশ দি কৰ্ত্তব্য নিৰ্দ্দেশ কৰক।'

এইবাৰো আগৰ দৰেই প্ৰজাপতিৰ [illegible]নৰে কৈ উঠিল— 'দ'। তাৰ পিছতেই অসুৰবিলাকক সুধিলে, "বুজিলানে?" সিহঁতেও একে আষাৰে কৈ উঠিল, "বুজিলোঁ।"

"কি বুজিলা?"

"ভগৱন্, আপুনি আমাক কলে—'দ'—অৰ্থাৎ [illegible]। তাৰ অৰ্থ দয়া কৰা; আমি অসুৰ-জাতি স্বভাৱতে নিষ্ঠুৰ, হিংসাপৰায়ণ আৰু [illegible] বুলি জনাজাত। 'ধৰি আন, মাৰি খাওঁ'—ই আমাৰ মুখৰপৰা হওঁচেই। সেয়েহে আমাৰ এই জঘন্য কু-প্ৰবৃত্তিবোৰলৈ চাই আপুনি আমাক উপদেশ দিলে—'দ'—দয়ধ্বম্—অৰ্থাৎ দয়া কৰা, প্ৰাণীমাত্ৰকে দয়া কৰা।"

অসুৰবিলাকৰ উত্তৰেও প্ৰজাপতিক বৰ আনন্দ দিলে। তেওঁ এইবাৰো কলে, "ঠিক বুজিছা; মোৰ ইয়াকে মানি চলিলা তোমালোকৰ কল্যাণ হ'ব।"

অসুৰবিলাকে পুনঃ প্ৰজাপতিক প্ৰণাম জনালে আৰু [illegible] লোটি উভতি আহিল।

এইদৰে বিধাতাৰ এটা শব্দৰ দ্বাৰাই [illegible] সংসাৰৰ অসুৰাদি দেৱতা, মানৱ আৰু অসুৰবিলাকে তিনি [illegible] লভিলে।* [illegible] লোকে কয়—আজিও প্ৰজাপতি বিধাতাৰ সেই [illegible] ধ্বনিকেই [illegible] আকাশৰপৰা বিশ্বৰ কল্যাণৰ [illegible] দ-দ-দ [illegible] দাম্যত, দত্ত দয়ধ্বম্ ॥—দমন [illegible], [illegible] কৰা, দয়া কৰা ॥

---

* দাম্যত—দম্ + [illegible] [illegible]। দয়ধ্বম্ = দয়্ [illegible] দয়া কৰা। দত্ত = দা + [illegible]

জয়লাভ

(কেন উপনিষদ)

সাপ আৰু নেউলৰ মাজত অনাদি কালৰপৰাই বিৰোধ চলি আহিছে। সেই বিৰোধৰ কাৰণে সিহঁতৰ দেখাদেখি হ'লেই যুঁজ লাগে। আমাৰ মানুহৰ মাজতো দন্দ-খৰিয়াল চলি থাকিলে কোৱা যায়—"সিহঁতৰ ভিতৰত অহি-নকুল ভাৱ।" অহি—সাপ, নকুল—নেউল।

পিছে, অতি পুৰণি কালত দানৱ আৰু দেৱতাসকলৰ মাজতো অহি-নকুল ভাৱ আছিল। সেই কাৰণে দুয়ো পক্ষৰ মাজত সততে দন্দ-খৰিয়াল, হাই-কাজিয়া আৰু আনকি যুঁজ-বাগৰ আদিও হৈ আছিল। এবাৰ কিবা এটা কাৰণত দুয়ো দলৰ কন্দল আৰম্ভ হ'ল। সেই কন্দল গৈ লাহে লাহে যুঁজত পৰিণত হ'ল আৰু সেই যুঁজ দেৱা-দেৱেৰাকৈ অনেক দিন চলিল। ইয়াৰ কাৰণে দেশত শান্তি নোহোৱা হ'ল।

ভগৱানে তেতিয়া ভাবিলে—এই দেৱতা আৰু অসুৰবোৰে যুঁজ কৰি এতিয়া মোৰ বিলনীয়া সৃষ্টিখন হাৰখাৰ কৰে। ইহঁতৰ যুঁজখন ভাঙি নিদিলে নহয়। এক পক্ষৰ ফলীয়া হৈ বিপক্ষক হুকৰাবহে লাগিব।—ইয়াকে ভাবি তেওঁ দেৱতাসকলৰ ফালে বল বঢ়াই দিলে। নিজে গৈ যুঁজ নকৰিলে। সেই বলতেই বলী হৈ দেৱতাসকলে অসুৰবোৰক ৰণত পৰাস্ত কৰিলে।

ইফালে ৰণত জিকি দেৱতাসকলে কিন্তু অহং-গোসাঁই একো নমনা হৈ উঠিল। তেওঁলোকে ভাবিলে যে নিজৰ বাহুবলেৰেহে তেওঁলোকে যুঁজত জয়লাভ কৰিলে। তেওঁলোকৰ যে এজনাকী ভগৱান আছিল সেই কথাও তেওঁলোকে পাহৰি গ'ল। পূজা-সেৱা সকলো এৰিলে।

এই জয়লাভৰ বাবে উৎসৱ পাতিবলৈ এদিন সকলোৱে এখন আনন্দ-মহল মুকলি পথাৰত যোগাৰ পাতিলে। লগে লগে এটা বনভোজনো আয়োজন হ'ল; তাত লোকসকলে খাই বৈ আনন্দ উল্লাসৰ ৰঙৰ ঢোল-পিয়া চলিল। খাই-বৈ ৰজনীয়া হৈ সকলো দেৱতাসকলে জানিবলৈ ধৰিলে

—বাঃ বাঃ কি আনন্দ। আমাৰ মহিমাহে ঠিক মহিমা; আমাৰ বিজয়হে ঠিক বিজয়। আমাৰ গৌৰৱৰ দৰে গৌৰৱ কাৰ আছে?

দেৱতাসকলৰ এই অহংকাৰৰ কথা ভগৱানে জানিব পাৰিলে। তেওঁ তেতিয়া মনে মনে ভাবিলে—দেৱতাসকলৰ দৰ্প চুৰ কৰিব লাগিব। এনেকৈ ভাবি তেওঁ পথাৰৰ এমূৰে বেলিটোতকৈও উজ্জ্বল মূৰ্ত্তি এটা হৈ থিয় হ'ল। দেৱতাসকলে মূৰ্ত্তিৰ ৰূপ দেখি ভয়ত কোঁচ-মোচ খাই ইজনে সিজনক সুধিবলৈ ধৰিলে, "ভাই, এওঁ কোনহে? কি কৰিবলৈ আহিছে?" কিন্তু উত্তৰ দিব কোনে? সকলোৰে মূৰ্ত্তি দেখিয়ে চুটি লেবাইছে। পিছত বহুত তৰ্ক বিতৰ্কৰ মূৰত এয়ে থিৰ হ'ল যে তেওঁলোকৰ একজন মহগত শৰণ দি মূৰ্ত্তিৰ ওচৰলৈ যাব লাগে। কিন্তু যায় নো কোন? শেষত কোনো আগবাঢ়ি নহা দেখি অগ্নি দেৱতায়ে পা-পাতি উঠিল। বাকী দেৱতাসকলে অগ্নিৰ সাহস বখানিবলৈ ধৰিলে।

অগ্নি গ'ল কিন্তু তেওঁ যিমানে সেই বিতোপন মূৰ্ত্তিটোৰ ওচৰ চাপি যাবলৈ ধৰিলে সিমানে তেওঁৰ বুকুখন কিবা এক নজনা ভয়ত কঁপি উঠিবলৈ ধৰিলে। তেওঁ গৈ একো সুধিবলৈ নৌ-পাওঁতেই মূৰ্ত্তিয়ে গহীনাই মাত দিলে, "তুমি কোন?"

অগ্নিয়ে ভয়ে ভয়ে কলে, "মোৰ নাম অগ্নি। কোনো কোনোৱে মোক জাতবেদা * বুলিও মাতে।"

"তুমি কি কৰা? তোমাৰ শক্তি কিমান?"

"মই সকলোকে অগ্নি দান কৰোঁ। ইচ্ছা কৰিলে মই হাবি-বন সকলোবোৰ পুৰি ছাৰখাৰ কৰিব পাৰোঁ। মোৰ আগত কেঁচা-পকা একো নাই। মোৰ শক্তি অসীম বুলি জগতে জানে।"

মূৰ্ত্তিয়ে পুনৰ প্ৰশ্ন কৰিলে, "বাৰু, মোৰ ওচৰত থকা এই শুকান বনডাল পুৰিব পাৰিবানে?"

অগ্নিয়ে ভাবিলে—বৰ বৰ পৰ্ব্বত-পাহাৰ, বিশাল হাবি-বন নিমিষতে পুৰি ছাই কৰি পেলাওঁ, এতিয়া আকৌ এওঁ সুধিছে—এই শুকান বনডাল পুৰিব পাৰিম নে? উপলুঙাৰ এটি মিচিকিয়া হাঁহি মাৰি তেওঁ কলে, "সেইটোনো কি সুধিছে? খুব খাই কিয় পেট নষ্ট কৰোঁ? তাতকৈ কিবা পুৰিব লাগে যদি দিয়ক।"

---

* জাতবেদা মানে সৰ্ব্বজ্ঞ বা সকলোকে ধাৰণ কৰোঁতা।

মূৰ্ত্তিয়ে কলে, "আগলৈ ৰাক ভাঙৰ একো নুৰিব। এই ঘাঁহডাল পোৰোঁ। তেহে তোমাৰ শক্তি বুজা যাব। ইয়াকে পোৰা।"

মূৰ্ত্তিয়ে যেনেকৈ কোৱা মাত্ৰেই জুই দপ্‌দপ্‌কৈ জ্বলি উঠিল। শিখাই আকাশ স্পৰ্শ কৰিলে। চাৰিওফালে ডেইপুৰি যাবলৈ ধৰিলে। কিন্তু কি আচৰিত কথা, বনডাল হ'লে পোৰা নগ'ল। শৰীৰৰ সকলো শক্তি প্ৰয়োগ কৰিও অগ্নিয়ে ঘাঁহডালক পুৰিব নোৱাৰিলে। অৱশেষত লাজে-অপমানে তলমূৰ কৰি অগ্নি থিয় হ'ল। মূৰ্ত্তিয়ে কলে, "দূৰ হ।" অগ্নি গ'ল।

অগ্নি ঘূৰি অহা দেখি দেৱতাসকলে সুধিলে, "কি ভাই, খবৰ কি? তেওঁ কোন কিবা গম পালানে?" অগ্নিয়ে লাজতে চমুকৈ কলে, "মই নোৱাৰিলোঁ; তোমালোকৰ অন্য এজন যোৱা।"

এইবাৰ গ'ল বায়ু দেৱতা। মূৰ্ত্তিয়ে এইবাৰো আগৰ দৰেই বায়ুৰ নাম-ধাম সকলো সুধি লৈ তেওঁৰ শক্তি পৰীক্ষা কৰিবলৈ বনডাল উৰুৱাই নিবলৈ ক'লে। বায়ু দেৱতায়ো অগ্নিৰ দৰেই চেষ্টা কৰিলে। প্ৰচণ্ড পচোৱা আহিল। হুৰহুৰ কৰি গছ-বিৰিখ ভাগিবলৈ ধৰিলে; কিন্তু কি আচৰিত কথা—বনডাল হ'লে অলপো লৰচৰ নহ'ল। লাজে-অপমানে মৰাৰ তুল্য হৈ তেৱোঁ উভতি আহিল। কলনামুৱা হৈ তেওঁ দেৱতাসকলক নিজৰ বিফলতাৰ কথা কলেহি।

দেৱতাসকলৰ ভিতৰত যি দুজনা আটাইতকৈ বেছি সাহসী আৰু বলী তেওঁলোকেই এইদৰে শেষ নোৱাৰি পৈ কেঁচা অহাদি ঘূৰি আহিবলগীয়া হোৱাত সকলো চিন্তিত হ'ল।

এনে নিৰাশাৰ সময়ত যি উৎসাহ দিব পাৰে তেওঁহে আচল ৰজা। দেৱতাসকলৰ ৰজা ইন্দ্ৰ। সেই কাৰণে এইবাৰ ইন্দ্ৰ নিজে যাবলৈ ওলাল। মনত তেওঁৰ অলপো অহংকাৰ নাই। তেওঁ ভাবিছে যে অগ্নি আৰু বায়ুৰে দুয়ো দেৱতাই যত হাৰ মানিছে তাত তেওঁ কৃতকাৰ্য্যতা লাভ কৰা তেওঁৰ কাৰণে তেনেই অসম্ভৱ। অভিমান-দৰ্প-অহংকাৰ সকলো ত্যাগ কৰি তেওঁ মূৰ্ত্তিৰ ওচৰ চাপি প্ৰণাম জনালে।

চাওঁতে চাওঁতেই সেই অপৰূপ সৌম্য মূৰ্ত্তি শূন্যত বিলীন হ'ল। ইন্দ্ৰই হতবুদ্ধি হৈ শূন্যলৈকে দৃষ্টি ৰাখি [illegible] মানুহৰ দৰে চাই থাকোঁতে থাকোঁতে চকুত চমক লগাই শূন্যতেই এটি অতি কমনীয়া নাৰীমূৰ্ত্তিৰ আবিৰ্ভাৱ হ'ল।

এৱেঁই শিৱৰ পত্নী হৈমৱতী উমা। ইন্দ্ৰই উমাদেৱীক চিনিব পাৰি নম্ৰভাৱে প্ৰণাম জনাই সেই বিত্তোপন মূৰ্ত্তিটো কাৰ আছিল আৰু ক'লৈ গ'ল সুধিলে। দেৱীয়ে উত্তৰ দিলে, "তেৱেঁই ব্ৰহ্ম ; তেৱেঁই পৰমেশ্বৰ ভগৱান। তেওঁৰ ইচ্ছাতেই জগত চলিছে। তেওঁ তোমালোকৰ শক্তি বঢ়াই দিয়াতহে তোমালোকে অসুৰবোৰক যুঁজত হৰুৱাব পাৰিছিলা। ৰণত জয়লাভ কৰি তোমালোকে মইবৰ ভাবত ওফন্দি ফুৰিছিলা। তাকে দেখি তেওঁ তোমালোকৰ গেলা গপ দূৰ কৰিবৰ অভিপ্ৰায়ে আজি যক্ষৰ পৰীক্ষা ললেহি। তেওঁ শক্তি নিদিলে কোনেও শক্তিমন্ত হ'ব নোৱাৰে। তেওঁৰ ওচৰত কাৰো অহঙ্কাৰ নখজে। অনন্ত শক্তিৰ মূল আধাৰ তেৱেঁই।"

উমা এই কথাখিনি কৈ নীৰৱ হ'ল। ইন্দ্ৰই অন্তৰৰ গভীৰ ভক্তিৰে হাত যোৰ কৰি শূন্যতে ভগৱানক প্ৰণাম কৰিলে। খন্তেক পিছতে উমা অন্তৰ্দ্ধান হ'ল। ইন্দ্ৰ উভতি আহিল। তেওঁ ব্ৰহ্মক জানিব পাৰিলে।

ইফালে ইন্দ্ৰক বংমনে অহা দেখি দেৱ-সমাজত হৰিষ মিলিল। ইন্দ্ৰই কথা বিৱৰি কৈ নম্ৰভাৱে কৰুণাময় ভগৱানক আৰধনা কৰিবলৈ সকলোকে উপদেশ দিলে। দেৱতাসকলেও নিজ নিজ শক্তিৰ সীমা বুজিব পাৰি অনাদি-অনন্ত-নিৰাকাৰ ভগৱানৰ প্ৰতি সাষ্টাঙ্গে সেৱা জনালে।

অগ্নি, বায়ু আৰু ইন্দ্ৰ—এই তিনিজনা দেৱতাই প্ৰথমে সাহসেৰে ব্ৰহ্মৰ ওচৰ চাপিব পাৰিছিল কাৰণে তেওঁলোক অন্য দেৱতাতকৈ অধিক শক্তিমন্ত হৈ ব'ল ; আৰু ইন্দ্ৰই প্ৰথমে ব্ৰহ্মৰ বিষয়ে জানিবলৈ সক্ষম হ'ল কাৰণে তেওঁ দেৱতাসকলৰ ভিতৰত সদায় শ্ৰেষ্ঠ স্থান লৈ থাকিল।

———

নচিকেতা

(কাঠোপনিষদ)

তপোবনত সেইদিনা অপাৰ আনন্দ! হোমৰ গোন্ধত গোটেইখন আশ্ৰম তেনেই আমোলমোল হৈ পৰিছে। বৈদিক মন্ত্ৰৰ সুললিত সুৰ বহু দূৰৰ-পৰাই শুনা যায়। মন্ত্ৰ গোৱাই মন্ত্ৰ গাইছে, আহুতি দিয়াই আহুতি দিছে। দক্ষিণা লোৱা বামুণ আৰু ভিখাৰী মগনিয়াৰ সীমা সংখ্যা নাই। অহা আহিছে, যোৱা গৈছে। চাৰিওফালে কেৱল উখপ্‌খপ, উফুলি-মুফুলি। এনে লৰা-ধপৰাৰ মাজতো এজন ঋষিক সবাতোকৈ বেছি খৰধৰ কৰা দেখা গৈছে—তেৱেঁই মহৰ্ষি উদ্দালক। সেই তপোবন তেওঁৰেই আৰু যজ্ঞও তেৱেঁই পাতিছে। যজ্ঞটোৰ নাম আছিল—'বিশ্বজিত যজ্ঞ'।

মহা ব্যস্ততাৰ মাজত যজ্ঞৰ যাৱতীয় কাম চলি আছে। তপোবনৰ ল'ৰা-ছোৱালীবোৰে লগ হৈ যজ্ঞভূমিৰ একাষত ৰং-ধেমালি কৰিব লাগিছে। এটা সৰু ল'ৰা কিন্তু এই ৰং-ভামচাবোৰত নাই। তেওঁৰ বয়স বোধহয় ৬।৭ বছৰৰ বেছি নহয়। তেওঁ যজ্ঞভূমিৰ চাৰিওফালে ঘূৰি ফিৰাবোৰ চাই ফুৰিছে। চকুত যেন অসামান্য জেউতি আৰু মুখত অসীম কৌতূহল। তেওঁ গৈ গৈ এঠাইত বহুত গৰু বান্ধি থোৱা দেখিলে। গাই গৰু। আটাইবোৰ তেনেই হাড়-ছাল ওলোৱা, লেৰেলা-চেপেটা। তেওঁৰ বুজিবলৈ বাকী নাথাকিল যে সেইবোৰ দানৰ গৰু। দানৰ ভিতৰত গো-দানেই সবাতোকৈ শ্ৰেষ্ঠ। সেইদেখি ঋষিয়ে যজ্ঞৰ অন্তত পূজাৰী বামুণসকলক দান দিবৰ কাৰণে গৰুবোৰ একঠাইতে বান্ধি থৈছিল।

এই সৰু ল'ৰাজনেই নাম নচিকেতা। এওঁ মহৰ্ষি উদ্দালকৰ মৰমীয়া পুত্ৰ। নচিকেতাই গৰুবোৰ দেখি ভাবিবলৈ ধৰিলে—পিতাইদেউ জানি-শুনি এইটো কি কাম কৰিবলৈ ওলাইছে! এই নিসত্বীয়া গাইবোৰে গাখীৰো দিব নোৱাৰে, পোৱালিও জগাব নোৱাৰে। এইবোৰ দান কৰিলে যেখোন পুণ্য নহৈ পাপহে হ'ব। বিশ্বজিতকলনো পণ্ডহ।

এনেকৈ ভাবি নচিকেতা দেউতাক ওচৰলৈ গুচি গ'ল। ঋষি সেই সময়ত কিবা কামত ব্যস্ত আছিল। নচিকেতাই পিতাকক সুধিলে, "পিতা, এই আধামৰা গাইবোৰ দান কৰিলে আপোনাৰ পাপ নহ'বনে?"

ঋষিয়ে শুনিছে যদিও নচিকেতাৰ কথাৰ উত্তৰ দিয়া নাই। হয় হ'বা এটাৰ মুখত এনে উপদেশৰ কথা শুনি তেওঁ অলপ বিৰক্তি নোপোৱাকৈ থকা নাছিল। তথাপি নিজৰ মনৰ অশান্তি লুকুৱাই [illegible] কৰি আছিল। নচিকেতাই আকৌ সুধিলে, "পিতা, যজ্ঞ আৰম্ভ কৰোঁতে আপুনি পণ কৰিছিল যে এই যজ্ঞত আপুনি সকলো বস্তু দান কৰিব। মইয়ো আপোনাৰ এটা সম্পত্তি। মোক পিছে আপুনি কাৰ্ক দান দিব খুজিছে?"

ঋষিয়ে এইবাৰো একো উত্তৰ দিয়া নাছিল। নচিকেতাই কিন্তু নেৰিছে। তেওঁ পুনঃ সুধিবলৈ ধৰিলে, "পিতা, মোকনো কাক দান দিব?"

ঘনাই ঘনাই এইদৰে সুধি থকাত ঋষিয়ে বিৰক্ত হৈ ক'লে, "যা তোক যমলৈ দিছোঁ।"

কথা শুনি নচিকেতা ভাবৰি গ'ল। যথাসময়ত যজ্ঞৰ কাম শেষ হ'ল। দান-দক্ষিণা আদিৰ ওৰ পৰিল। নচিকেতাই তেতিয়া পিতাকক ক'লে, "পিতা, মোক আপুনি যমলৈ দান দিছিল নহয়; এতিয়া মই যমৰ ঘৰলৈ য'বলৈ সাজু হৈছোঁ। অনুগ্ৰহ কৰি অনুমতি দিয়ক।"

পুত্ৰৰ কথা শুনি ঋষি অবাক! কাৰণ তেওঁ সেই কথা বিৰক্তিত হে কৈছিল, আচলতে তো তেওঁ তেনেকৈ ভবা নাছিল। নচিকেতাই পিতাকক চিন্তাত পৰা দেখি ক'লে, "পিতা, কি [illegible] কৰিব লাগিছে? জগতত সত্যতকৈ ডাঙৰ ধৰ্ম নাই। আপুনি [illegible] পুত্ৰৰ কাৰণে [illegible] হব [illegible]? এতিয়া এই [illegible] সত্য [illegible] নকৰিলে জগতে আপোনাৰ অপকীৰ্তি গাব। গতিকে মোক যাবলৈ দিয়ক।"

এফালে [illegible], আনফালে [illegible]। ঋষি এক [illegible] পৰিল। [illegible] শেষত [illegible] তেওঁৰ [illegible] আছিল। [illegible] তেওঁ [illegible] কৰিলে আৰু [illegible] পুত্ৰ নচিকেতাক বিদায় দিলে।

নচিকেতা [illegible] গ'ল। [illegible]

[illegible]

যমৰজাৰ পদূলিত জেৰী লৈ ৰক্ষক আছে। সেয়েতে দুৱৰীয়ে আহি বাতৰি দিলে যে যমৰজা ঘৰত নাই। দুৱৰীয়ে অতিথি নচিকেতাক ভিতৰলৈ যাবলৈ কোৱাতো তেওঁ নগ'ল। পদূলিতেই থাকিল।

এদিন গ'ল, যম নাই। দুদিন গ'ল, যম নাই। তিনি দিন গ'ল, তথাপি যম নাই। চতুৰ্থ দিনৰ দিনা যমৰজা ঘৰলৈ আহিল। তেওঁ আহি শুনিবলৈ পালে যে পুতলা যেন মনিচৰ ল'ৰা এটিয়ে তেওঁৰ কাৰণে পদূলিত তিনি দিন ধৰি অনাহাৰে অনিদ্ৰাই বাট চাই আছে; ভিতৰলৈ যাবলৈ কোৱাতো যোৱা নাই।

অতিথিয়ে তেনেকৈ ভোকে-লঘোনে দুখ পোৱা বুলি শুনি যমৰজাৰ ভয় লাগিল। কাৰণ অতিথি বিমুখ হ'লে গৃহস্থৰ সকলো পুণ্য নাশ হয়। তেওঁ লৰালৰিকৈ পাদ্য-অৰ্ঘ্য লৈ নচিকেতাৰ ওচৰ পালেগৈ। নচিকেতাই আগবাঢ়ি যমৰজাক হাতযোৰকৈ প্ৰণাম জনালে। যমে নচিকেতাক ঋষি-পুত্ৰ বুলি চিনি পাই পাদ্য-অৰ্ঘ্য সমুখত থৈ বিনীতভাৱে ক'লে, "হে ব্ৰাহ্মণ-কুমাৰ, তুমি মোৰ পদূলিত এই তিনি দিন অনাহাৰে থাকি যি কষ্ট পাইছা তাৰ বাবে মই মনত বৰ কষ্ট পাইছোঁ। এতিয়া মোৰ অপ-ৰাধ ক্ষমা কৰি সদয় হৈ পাদ্য-অৰ্ঘ্য গ্ৰহণ কৰা। এই তিনি দিনৰ লঘো-নৰ বিনিময়ত মই তোমাক তিনিটা বৰ দিবলৈ প্ৰস্তুত। কোৱা কি বৰ দিম?"

নচিকেতাৰ মন হৰিষত পুলকিত হ'ল। পাদ্য-অৰ্ঘ্য গ্ৰহণ কৰি তেওঁ কি বৰ লব তাকে ভাবিবলৈ ধৰিলে। তাৰ পিছত ক'লে, "মোক আপুনি চিনি পাইছেই। মই মহৰ্ষি উদ্দালকৰ সুযোগ্য পুত্ৰ। ক্ৰোধ-পৰবশ হৈ বাবায়ে মোক আশীৰ্বাদ হাতত অৰ্পণ কৰি মনত তীব্ৰ অনুতাপ পাইছে। পিতৃক আশীৰ্বাদ [illegible] মোৰ পিতৃদেৱতাৰ যেন [illegible] সকলো সন্তাপ দূৰ হয় আৰু তেওঁৰ মনত যেন মোক [illegible] গ্ৰহণ কৰে।"

যমে [illegible]

[illegible] দ্বিতীয় বৰত [illegible] নচিকেতাই [illegible] তেওঁ [illegible]

হয়েই। [illegible] "[illegible]

[illegible]

সকল দুই হয়। এই বৰত দিয়া [illegible]

দেৱতাসকলক দিয়েগৈ। গতিকে অগ্নিক তুষ্ট কৰিব পাৰিলে দেৱতাসকলকো তুষ্ট কৰিব পাৰি। কোৱা শুনিছো অগ্নি-সাধনাৰ দ্বাৰাই বোলে মানুহে আনকি মৃত্যুৰ হাতো এৰাই অমৰ-লোক পাব পাৰে। সেই অগ্নি-পূজাৰ বিধি আপুনি মোক দ্বিতীয় বৰেৰে শিকাই দিয়ক।”

যমে অলপ পৰ তলমূৰ কৰি থাকি তাকো “তথাস্তু” বুলি গ্ৰাহ্য কৰিলে, আৰু অগ্নি-সাধনাৰ মন্ত্ৰ শিকাই দিলে।

এতিয়া তৃতীয় বৰৰ সময় আহিল। নচিকেতাই ভাবিলে—যম মৃত্যুৰ অধিপতি, সেইবাবে মৰণৰ ৰহস্য তেওঁৰ হাতত। এই সুযোগতে সেই ৰহস্য শিকি লোৱা যাওক। এই ভাবি তেওঁ কলে, “হে ধৰ্মৰাজ, ইমান দিনে মই এটা কথা শিকোঁ শিকোঁ বুলি শিকিব পৰা নাই। সেই কথা আপুনি যিমান ভালকৈ জানে, আনে নাজানে। সেয়ে হ’ল মৰণৰ ৰহস্য। কোনোৱে কয়—মৰণৰ লগে লগেই জীৱৰ সকলো শেষ। আকৌ কোনোৱে কয়—জীৱৰ বোলে আত্মা বোলা কিবা এটা বস্তু আছে, সি হেনো অমৰ; জীৱ মৰিলেও সি থাকে। এনেবোৰ ওলোটা-ওভোতা কথাৰ মেৰপাক মই হ’লে একণো বুজিব পৰা নাই। আপুনি মোক ইয়াৰ গূঢ় তত্ত্ব বুজাই দি মোৰ মনৰ খু-দুৱনি দূৰ কৰক।”

যমে ভাবিলে—ল’ৰা কম নহয়! সি যেখোন এতিয়া আচল কথাৰে সত্তেৰ বিচাৰে এৰা! চোৱাইহে সক, হোলোং গছত বাহ। এনেকৈ ভাবি তেওঁ কলে, “বোপা, তুমি সৰু ল’ৰা; এইবোৰ কথা শিকি তুমি কি কৰিবা? এইবোৰ আওপকীয়া কথাৰ মেৰপাক মানুহৰ কথা দূৰতে থাওক, দেৱতাসকলেও বহুত দিনলৈ বুজি উঠিব পৰা নাছিল। তুমিও ইয়াৰ পাছ এৰা। লাগিলে হাতী-ঘোঁৰা, বয়বস্তু, সোণৰ সিংহাসন অথবা স্বাস্থ্য, যৌৱন, আয়ুস—আদি যিহকে খোজা তাকেই মই দিম। মৃত্যু-ৰহস্যৰ পাছ এৰা, সোণ!”

নচিকেতা কিন্তু সহজে ভোল যোৱা ল’ৰা নহয়। তেওঁ ভালকৈয়ে খাকোৰগোঁজালি দি লাগিল। কলে, ‘মহাৰাজ, মোক আপুনি নানা প্ৰলোভনীয় কথাৰে ভুৱা দিবলৈ খোজে কিয়? ৰাজ্য, ধন, ঐশ্বৰ্য্য-বিভূতি আদি জানো চিৰস্থায়ী বস্তু? সেই সকলোবোৰ যেখোন দুদিনীয়া সুখৰ বাহানি; আজি আছে কালিলৈ নাই। সেইবোৰৰ মোৰ কোনো প্ৰয়োজন নাই। যদি সঁচাকৈয়ে আপোনাৰ কথাৰ মূল্য আছে আৰু আপুনি

আপোনাৰ কথা ৰাখিব খোজে তেন্তে মোক পৰ-জন্মৰ ৰহস্য শিকাবই লাগিব। তাৰ বাহিৰে মই আপোনাৰ আৰু কোনো বুজনিতে সন্তুষ্ট নহওঁ। নতুবা আপুনি যদি আপোনাৰ তৃতীয় বৰ দিবলৈ অপাৰগ তেন্তে যৌৱ-কালে সেইটো কৈ দিয়ক; মই যি হয় এটা ব্যৱস্থা কৰিম।"

যমে ভাবিলে—এতিয়া কথা বিষম। ঋষিৰ ল'ৰা কেনেবাকৈ খং কৰি গুচি যাব লাগিলে প্ৰতিজ্ঞা ভঙ্গ কৰা পাপতহে পৰিব লাগিব। এনেকৈয়ে বাধ্য হৈ তেওঁ নচিকেতাক পৰলোক-তত্ত্ব একে একে সকলোবোৰ বুজাই দিলে। পৰলোক-তত্ত্বৰেই অন্য নাম মৃত্যুৰ ৰহস্য বা আত্মাৰ বিষয়ে প্ৰকৃত জ্ঞান। ইয়াক জানিলে মানুহ অমৰ হয়। নচিকেতাই সেই জ্ঞান লাভ কৰি যেতিয়া ঘূৰি আহিল তেতিয়া ঋষি উদ্দালকৰ আনন্দ চায় কোনে? তেওঁ নচিকেতাক সাবটি লৈ প্ৰাণভৰা আশীৰ্ব্বাদ দিলে। নচিকেতায়ো পিতাকক সকলো কথা বিৱৰি কলে।

কালত নচিকেতা এজন তত্ত্ব-দৰ্শী ঋষি হৈ উঠিল।

———

ৰামায়ণ কেনেকৈ হ'ল

(ৰামায়ণ)

পুণ্য-তোয়া গঙ্গাৰ তীৰত বাল্মীকি ঋষিৰ আশ্ৰম। আশ্ৰমত অনেক শিষ্য থাকে। পুৱা-গধূলি ঋষিয়ে শিষ্যসকলৰ মাজত বহি লৈ তেওঁলোকক নানা সজ কথা শিকায়।

এদিন ৰাতিপুৱাৰ কথা। বেলি নো-ওলাওঁতেই ঋষি প্ৰিয়শিষ্য ভৰদ্বাজক লগত লৈ গঙ্গাত স্নান কৰিবলৈ গ'ল। সেই কালত ঋষিসকলে প্ৰায়ে শিষ্যক লগে লগে লৈ ফুৰিছিল আৰু বাটে-পথে য'তে যি কথা মনত পৰে তাকে শিকাইছিল। গুৰুৰ লগত যাবলৈ পাই সেইদিনা ভৰদ্বাজৰো মনত বৰ ৰং লাগিল।

কিছু সময় গৈ থকাৰ পিছত দুয়ো গঙ্গাৰ তীৰত উপস্থিত হ'ল। দুয়ো গা ধুবলৈ পানীত নামিল—ঋষি আগত, ভৰদ্বাজ পাছত। গঙ্গাৰ পবিত্ৰ শীতল জলে দুয়োৰো মন-প্ৰাণ শীতল কৰিলে। ঋষিয়ে মন্ত্ৰ মাতি ডুব-লৈ নামি গৈ আছে, এনেতে তেওঁৰ চকু এবাৰ পাৰৰ গছ-গছনি কিছুমানত পৰিল। তেওঁ দেখিবলৈ পালে যে তাৰে গছ এজোপাত পৰি কৰ্চন চৰাই এহালিয়ে ৰংমনে কিৰিলি পাৰি ঘূঁজ কৰিব লাগিছে। সিহঁতৰ মনত দুখ-বেজাৰ নাই। বিশ্ব-ভোলা আনন্দৰ যেন সিহঁত এক জীৱন্ত ছবিহে। সিহঁতৰ হৰিষ দেখি ঋষি তন্ময় হ'ল। তেওঁ একেথৰে সেই দৃশ্যটোলৈ চাই থাকিল। সংসাৰৰ মানুহৰ লগত এই পখীবোৰৰ কি আকাশ-পাতাল পাৰ্থক্য! হিংসা কুচক্ৰ ইহঁতৰ মনত নাই। ৰংমনে খাই-লৈ সুখেৰে দিন নিওৱাই সিহঁতৰ লক্ষ্য! বেচাৰীহঁতৰ আকালো নাই, উঁৰালো নাই।

এইদৰে আৰু অনেক কথা ভাবি দৃশ্যটোত চকু থৈ ঋষি পানীৰ মাজতে থিয় হৈ থাকিল। এনে সময়তে এটা অভাৱনীয় ঘটনা ঘটিল। ঋষিয়ে চাই থাকোঁতেই কোনোবা ক্ৰালবপৰা পাখি-লগা কাঁড় এপাত আহি তাৰে এটা চৰাইক বিন্ধি পেলালে আৰু বেচেৰা চৰাইটোৱে কৰুণভাৱে চিঞৰি

চিঞৰি মাটিত বাগৰি পৰিল। লগৰ ইটো চৰাই পোনেই উৰা মাৰিছিল; কিন্তু খন্তেকৰ পিছতে সিও আকৌ আহি গছৰ ডালটোত পৰি কৰুণভাৱে বিনাবলৈ ধৰিলে।

গছজোপাৰ তললৈ চাই পঠিয়ালত ঋষিয়ে দেখিলে এটা ব্যাধে মাটিত পৰা চৰাইটো হাতত লৈ আনন্দ মনেৰে যাব লাগিছে। বেচেৰা চৰাইটোৱে ভেতিয়াও ধপ্‌ধপাই পাখি মাৰিয়ে আছিল। ইফালে গছৰ ওপৰত থকা আনটো চৰায়ে চিঞৰি চিঞৰি মাজে মাজে চিকাৰীৰ ওপৰত ছোঁ-মাৰি উৰি ফুৰিছিল।

আনন্দ-বিহ্বল চৰাইহালিৰ ওপৰত নিষ্ঠুৰ ব্যাধৰ এই অত্যাচাৰ দেখি ঋষিৰ মন কৰুণাত পমি প'ল। তেওঁ যেন খন্তেকৰ কাৰণে নিজৰ উদ্দেশ্য সকলো পাহৰিলে। বহুত সময় সেই দৃশ্যটো চাই তেওঁ পানীত থিয় হৈ থাকিল। শিষ্য ভৰদ্বাজেও ঋষিক তেনেভাৱে তন্ময় হৈ থকা দেখি মুখৰ মাত ভঙা নাছিল।

চাওঁতে চাওঁতে ঋষিৰ মুখেদি কিবা সংস্কৃত কথা দুশাৰী বাহিৰ হ'ল।* কিন্তু কি কৈ পেলালে তেওঁ যেন নিজেই ক'ব নোৱাৰিলে। ভৰদ্বাজে সেই কথা দুশাৰী আওৰাই থলে। ঋষিৰ অন্তৰৰ শোক আৰু বিৰক্তি সেই কথাৰ মাজেদি বাহিৰ হৈছিল। তেওঁ যেন বেজাৰত ব্যাধক গালি পাৰি কলে—

ৰঙত বিভোৰ কৰ্চ্চন হালিৰ
মাৰিলি এটাক তই।
নিষ্ঠুৰ বিয়াধ নাপাবি সুযশ
কলোঁ নিষ্ট কৰি মই॥

* * * *

সঙ্গম কৰোঁতে পক্ষী কৰিলি সংহাৰ।
চিৰকাল নৰকে পচিবি দুৰাচাৰ॥
ইহলোকে দুৰ্যশ থাকিব বৰ তোৰ।
মোহ হয়া কৰ্ম তই কৰিলি দুৰ্ঘোৰ॥

('ৰামায়ণ'—মাধৱ কন্দলি)

---

* মা নিষাদ প্ৰতিষ্ঠাং ত্বম গমঃ শাশ্বতীঃ সমাঃ।
যৎ ক্ৰৌঞ্চমিথুনাদেকমবধিঃ কামমোহিতম্।

ব্যাধ গ'ল। গুৰু-শিষ্য দুয়োজনে পবিত্র গঙ্গাৰ পানীত গা ধুই ললে আৰু স্নান শেষ হ'লত দুয়ো আশ্রমলৈ উভতিল।

এই দৃশ্য দেখি অহাৰপৰা ঋষিৰ যেন মনৰ কিবা এটা পৰিবৰ্ত্তন হ'ল। তেওঁৰ মুখ-মণ্ডলত বিষাদৰ ৰেখা। কিবা এটা চিন্তাই যেন তেওঁক অস্থিৰ কৰি তুলিলে। মনত সমূলি আনন্দ নোহোৱা হ'ল। তেওঁৰ চকুৰ আগত যেন সঘনে ভাহি উঠিবলৈ ধৰিলে চৰাই-চিকাৰী আৰু কৰ্চ্চন চৰাইৰ নৈৰ পাৰৰ সেই দৃশ্যটো। তেওঁৰ মুখত ঘনাই ঘনাই ওলাই আহিবলৈ ধৰিলে নৈত নামি থাকোঁতে অকস্মাৎ ওলোৱা সেই কথা দুশাৰী। চিন্তাত তেওঁ বিভোৰ হৈ পৰিল।

ইফালে স্বৰ্গত সেই সময়ত সৃষ্টিকৰ্ত্তা ব্ৰহ্মাৰ লগত দেৱৰ্ষি নাৰদে কথা পাতি আছিল। দুয়ো ভূত-ভৱিষ্যৎ সকলো জানে। ব্ৰহ্মাই ভাবিলে এই ছেগতেই বাল্মীকিৰ হতুৱাই এখন মহাকাব্য ৰচনা কৰোৱা যাওক। নাৰদৰ লগত তেওঁ সেই বিষয়ে আলোচনা কৰিলে, আৰু দুয়ো কথাই-মাতে ঋষিৰ আশ্রম পালেহি। বাল্মীকিয়ে কেওঁলোকক দেখি পাদ্যে-অৰ্ঘ্যে পূজা কৰি বহিবলৈ আসন দিলে আৰু আগমনৰ উদ্দেশ্য সুধিলে।

ব্ৰহ্মাই তেতিয়া কলে যে কৰ্চ্চন চৰাই আৰু ব্যাধৰ ঘটনা নাৰদ আৰু তেওঁ দুয়ো জানে। বাল্মীকিৰ মনত যি চিন্তা উপজিছে তাকো তেওঁলোকে নজনা নহয়। সেইসকলোবোৰ দেখি-শুনিয়েই হেনো তেওঁলোক তালৈ গৈছে—ঋষিক উপদেশ দিবলৈ।

কথা শুনি চিন্তাত মন উগুল-থুগুল হৈ থকা ঋষিৰ মুখত যেন পানী আহিল। নিজৰ মনৰ উদ্বেগৰ হেতু আৰু সেই উদ্বেগ দূৰ কৰাৰ উপায় তেওঁ ব্ৰহ্মা আৰু নাৰদক সুধিলে। ব্ৰহ্মাই তেতিয়া কলে যে ঋষিৰ মনত যি শোক উপজিছিল তাকেই তেওঁ নজনাকৈয়ে শ্লোকত কৈ পেলাইছিল। এই শ্লোককে লৈ মিলন-বিৰহৰ কথাৰে ব্ৰহ্মাই তেওঁক ৰামায়ণ মহাকাব্য ৰচনা কৰিবলৈ উপদেশ দিলে।

ব্ৰহ্মাৰ কথাত বাল্মীকি প্রথমে আচৰিত হ'ল। কাৰণ তেওঁ ৰামায়ণ ৰচনা কৰিবলৈ আদেশ পালে যদিও, ৰামায়ণৰ কাহিনী একো নাজানে; কিয়নো তেতিয়া ৰাম-অৱতাৰ হোৱাই নাই। ব্ৰহ্মাই ঋষিৰ মনৰ ভাব

বুজিব পাৰি বাল্মীকিৰ আগত ৰাম-অৱতাৰৰ সকলো কথা বিৱৰি কবলৈ নাৰদক আদেশ দিলে আৰু নিজে স্বৰ্গলৈ উভতি গ'ল।

ব্ৰহ্মাৰ আদেশমতে নাৰদেও সূৰ্য্য-বংশৰ আৰম্ভৰেপৰা ৰামৰ জন্ম, বিবাহ বনবাস, ৰাৱণ-বধ আদি ৰামৰ স্বৰ্গাৰোহণলৈকে ৰামায়ণৰ সকলো কথা চমুকৈ বৰ্ণনা কৰিলে। ঋষিয়ে ৰং আৰু কৌতূহলত বুৰ গৈ নাৰদৰ কথা সকলোবোৰ মন দি শুনিলে আৰু ৰামায়ণ ৰচনাত প্ৰবৃত্ত হ'ল। নাৰদ স্বৰ্গলৈ গুচি গ'ল।

নাৰদৰ মুখে এইদৰে সকলো কথা শুনি বাল্মীকিয়ে ৰামায়ণ ৰচনা কৰিছিল; আশ্ৰমত থাকোঁতে লৱ-কুশক সেই ৰামায়ণ গাবলৈ শিকাইছিল। সেই কাৰণেই আজিও মানুহে কয় বোলে—ৰাম নৌওপজোতে ৰামায়ণ উপজিছিল, অৰ্থাৎ ৰচিত হৈছিল। পণ্ডিতসকলে কয় যে এই ৰামায়ণ পুথি জগতৰ আদি কাব্য।

অপণ্ণক জাতক

বৌদ্ধসকলৰ মতে জাতকবোৰ ভগৱান বুদ্ধৰ পূৰ্ব্ব-জন্মৰ কাহিনী। তেওঁলোকে কয় যে কেৱল এক জন্মৰ সাধনাৰ বলত মানুহ মহাপুৰুষ হ'ব নোৱাৰে। তাৰ কাৰণে পূৰ্ব্ব-জন্মৰ সাধনাৰ আৱশ্যক। বুদ্ধদেৱেও বুদ্ধত্ব পোৱাৰ আগতে অনেকবাৰ পৃথিৱীত জন্মিছিল, কেতিয়াবা মানুহ হৈ, কেতিয়াবা অন্য জীৱ-জন্তু হৈ। এই সকলোবোৰ জন্মতে কিন্তু তেওঁ দান, পুণ্য, সৎকাম আদিৰ দ্বাৰা চৰিত্ৰৰ উন্নতি সাধিছিল। সেই জন্ম-বোৰত তেওঁক বোধিসত্ত্ব বুলি জাতকবোৰে উল্লেখ কৰিছে। বুদ্ধদেৱে পূৰ্ব্ব-জন্মৰ এইবোৰ কথা সোঁৱৰণ কৰিব পাৰিছিল আৰু এইবোৰ তেওঁ শিষ্যসকলৰ আগত গল্প বা আখ্যান হিচাপে কৈছিল। এইবোৰকেই বৌদ্ধ-সকলে জাতক বোলে।

প্ৰায়বোৰ জাতকতেই ৰজা ব্ৰহ্মদত্তৰ নাম পোৱা যায়। জাতকৰ ব্ৰহ্মদত্ত এটা কাল্পনিক নাম বুলিব পাৰি। আৰব্য উপন্যাসৰ খলিফা হাৰুণ-উল ৰছিদ নাইবা সংস্কৃত গল্পৰ বিক্ৰমাদিত্য ৰজা যেনেকুৱা, জাতকৰ ব্ৰহ্মদত্ত ৰজাও তেনেকুৱা। গল্প বা আখ্যান ভৰিবৰ কাৰণে এনেবোৰ নামৰ আশ্ৰয় লোৱা হৈছিল।

(২)

পূৰণি কালত বাৰাণসী নগৰত ব্ৰহ্মদত্ত নামে এজন ৰজা আছিল। তেওঁৰ ৰাজত্বকালত বোধিসত্ত্বই কোনো এক সাউদৰ ঘৰত জন্ম-গ্ৰহণ কৰে। ডাঙৰ হৈ অহাৰ লগে লগে বোধিসত্ত্বৰ মন বাণিজ্যৰ ফালে ঢাল খাই আহিল। তেওঁ জল-বাণিজ্যৰ আশা এৰি স্থল-বাণিজ্যৰ ফালে মন মেলিলে আৰু সেই উদ্দেশ্যে এখন দুখনকৈ পাঁচ শ খন গৰু-গাড়ী সজাই লৈ দেশ বিদেশত বেপাৰ কৰি ফুৰিবলৈ ধৰিলে।

সেই সময়ত বাৰাণসী নগৰত আৰু এজন বণিক আছিল। তেওঁৰ

* অপণ্ণক—ধ্ৰুৱ সত্য।

ধন-সম্পত্তি আছিল যদিও বুদ্ধি কিন্তু অলপ ভোটা আছিল। উপস্থিত বুদ্ধিৰ অভাৱত বহুত সময়ত তেওঁ বিপদত পৰিছিল।

এবাৰ বোধিসত্ত্বই বেপাৰৰ কাৰণে বহুত বস্তু গোটাই লৈ কোনোবা এখন দূৰ দেশলৈ যাবলৈ ওলাইছে, এনে সময়ত শুনিবলৈ পালে যে সিজন বণিকেও সেই একে ঠাইলৈকে পাঁচ শ গাড়ী লৈ যাবলৈ সাজু হৈছে। বোধিসত্ত্বই তেতিয়া মনে মনে ভাবিলে—আমি দুয়োজনে একে সময়তে যদি একে ঠাইলৈ এহেজাৰ গৰু-গাড়ী লৈ যাওঁ তেন্তে বাটত নানা অসুবিধা হ'ব পাৰে। ইমানবোৰ বোজাই গাড়ীৰ চকাৰ হেঁচাত বাট-পথ ভাগি চুৰমাৰ হ'ব। ইফালে হেজাৰ মানুহ আৰু দুহেজাৰ বলদৰ খাদ্য আৰু আহাৰ-পানী যোগাৰ কৰাও সহজ কাম নহ'ব। গতিকে আমাৰ দুজনৰ এজন আগে আৰু আনজন কিছুদিন পিচত যোৱাটো যুক্তিসঙ্গত হ'ব।

ইয়াকে ভাবি তেওঁ সিজন বণিকক মতাই আনি সকলো কথা বুজাই-বঢ়াই লৈ শেষত কলে, 'যিহেতু আমি একেলগে যোৱা উচিত নহ'ব, সেই কাৰণে তুমি আগতে যাবানে কিছুদিন পিছত যাবা সেইটো ঠিকতে কোৱা।"

সিজন বণিকে ভাবিলে—আগে যোৱাই ভাল। কাৰণ তাকে কৰিলে বাট-পথ ভাল পোৱা যাব। গাড়ী চলাবলৈ সুচল হ'ব। আহাৰৰ কাৰণেও বাটৰ কাষত থকা গছ-গছনিৰ ফলমূল অনেক পাম। বলদবোৰেও খাবলৈ প্ৰচুৰ ঘাঁহ পাব। তাৰ উপৰিও আগে গৈ বস্তুবোৰ বেছি দামত বেচিব পাৰিম—ইয়াকে ভাবি তেওঁ কলে, "ভদ্ৰ, মই বাৰু আগেই যাম। তুমি পিছত যাবা।"

বোধিসত্ত্বই কলে, "ভাল কথা, তুমি তেনেহলে বাওনা হোৱা।" তেওঁ মনে মনে ভাবিলে—পিছত যোৱাই ভাল। এই নিৰ্বোধ বণিকৰ ইমানবোৰ গাড়ীৰ চকাৰ হেঁচাত অসমান বাট-পথ সমান হৈ যাব। ইয়াৰ বলদবোৰে ঘাঁহৰ বুঢ়া পাতবোৰ খাই দিয়াৰ পিছত তাত যি নতুন পাত আহিব সেইবোৰ আমাৰ গৰুৱে খাই বৰ ভাল পাব। পানী-দুনিৰ কাৰণেও আমাৰ অসুবিধা নহ'ব; কাৰণ আগতে যোৱা মানুহবোৰে পানীৰ কাৰণে বাটত যি নাদ খান্দিব সেয়ে আমাৰ কাৰণেও চলিব। বস্তু-বাহানি

বিক্রী কৰাতো আমি বেছি দৰাদৰি কৰিব নালাগিব। আগত যি দৰ ঠিক হৈ থাকে তাতেই আমি সেইবোৰ বেচি আহিব পাৰিম। —এনেকৈ ভাবি তেওঁৰ মনত ৰং লাগিল।

যথা সময়ত নিৰ্ব্বোধ বণিক ওলাল। পাঁচ শ গৰুৰ গাড়ীত বেপাৰৰ বাহানি লৈ তেওঁ যাত্রা কৰিলে। গাড়ীয়ে প্রতি একোজনকৈ গাড়োৱান গ'ল! দেশ চোৱাৰ আশাত চাকৰ-নাকৰো অনেক ওলাল। বণিকৰ মনত কত আশা, কত কল্পনা।

গাড়ী-গাড়োৱান সকলোৱে গৈ গৈ বাটত এখন বিশাল পথাৰ পালে। তাৰ ইমূৰ-সিমূৰ মণিব নোৱাৰি। মাজত বৌ-বৌৱা বালি, ই অতি ভয়ানক ঠাই। সাত যোজন জুৰি এই ডোখৰ ঠাইত ক'তো এটোপা পানী পাবলৈ নাই। তাতে আকৌ ইয়াৰ মাজত হেনো যক্ষ নামৰ এবিধ ৰাক্ষসো থাকে।

গাড়ীবোৰ গৈ গৈ এই ঠাইৰ ওচৰ পালে। বাটত কৰবাত পানীৰ অভাৱ হব পাৰে বুলি ভাবি গাড়োৱান আৰু চাকৰ নাকৰবোৰৰ হতুৱাই বণিকে অলেখ কলহত পানী ভৰাই গাড়ীবোৰত তুলি ললে। কিন্তু আদি আটাইবোৰ গৈ যেতিয়া সেই পথাৰৰ মাজ-মান পালেগৈ তেতিয়া তাত থকা যক্ষ ৰজাই ভাবিলে—বুধিৰে এই নিৰ্ব্বোধ বণিকক ছলিব লাগিব। এনেকৈ ভাবি মায়া ধৰিবলৈ স্থিৰ কৰিলে।

যক্ষৰাজে মায়া কৰি এখন ৰৰ ধুনীয়া গৰু-গাড়ী সাজি ললে। ৰথৰ দৰে ধকুধকু কৰে বগা দুটা বলদে তাক টানিছে। ঐশ্বৰ্য্যশালী মানুহৰ বেশেৰে যক্ষৰাজ তাত বহি ললে। মূৰত আৰু ডিঙিত তেওঁৰ পদুম ফুলৰ মালা। আগত আৰু পাছত আৰু দহ-বাৰজন যক্ষও তেওঁৰ পালী-পহৰীয়াৰ বেশেৰে গ'ল। সিহঁতৰ হাতত ধনু, কাঁড়, যাঠি, তৰোৱাল আদি অস্ত্র। যক্ষৰাজকে ভিতৰ কৰি সকলোৰে চুলি আৰু সাজপাৰ পানীত তেনেই তিতা। গাড়ীৰ চকাত ঢেৰ বোকা-পানী। সকলোৰে মূৰত ভেট আৰু পদুম ফুলৰ মালা। আগত আৰু পাছত যোৱা সকলো কেইজন লোকে পদুমৰ মোলান আৰু শেলুক চোবাই গৈছে।

এইদৰে মায়া কৰি যক্ষবোৰে বিপৰীত ফালৰপৰা আহি বণিকৰ গাড়ী-বোৰৰ লগত ভেটাভেটি হ'ল; যেন তেনেই আকস্মিক ঘটনাহে! বণিক

তেওঁৰ গাড়ীবোৰৰ আগৰখন গাড়ীত গৈছিল। যক্ষৰাজে বণিকৰ গাড়ী-বোৰক বাট দিবলৈ নিজৰ গাড়ীখন অলপ বাতি-কাষৰীয়াকৈ ৰখালে আৰু ৰব মিঠা মাতেৰে বণিকক সুধিলে, "মহাশয় বা ক'ৰপৰা আহিছে?"

বণিকেও যক্ষৰাজৰ গাড়ীক বাট দিবলৈ নিজৰ গাড়ী বাটৰ একাষৰে নিয়াই কলে; "ভদ্ৰ, আমি বাৰাণসীৰপৰা আহিছোঁ। পিছে আপোনাৰ দেখোন মূৰত আৰু ডিঙিত পদুমৰ মালা; আপোনাৰ লগৰীয়াবোৰেও শেলুক-মকুৰা-মোলান আদি মুখ ভৰাই খাব লাগিছে। আপোনালোক সকলোটিৰে পিন্ধা কাপোৰ-কানীও ভিজা। গাড়ীৰ চকাও বোকাত লেটি-পেটি কথাটোনো কি? আগৰ ফালে কৰবাত বৰষুণ-তৰষুণ হৈছে নেকি? বাটৰ দাঁতিত কৰবাত পদুমফুল থকা পুখুৰীও আছে যেন অনুমান হয় দেখোন! হয় নেকি?"

যক্ষৰাজে উত্তৰ দিলে, "মহাশয়, কৈছেহে নে? সৌ যে বিৰিঙি-বিৰিঙি সেউজীয়া গছ-গছনিবোৰ দেখিছে তাৰপৰা সিফালে গোটেই পানীৰে বাট পথ একাকাৰ। সদায় বৰষুণ হৈ আছে। বাটৰ কাষে কাষে অলেখ পুখুৰী নলেত্ৰোৰোবৰতে পানী ওপচি পৰিছে। কুঁৱৈ, পদুম আদি ফুল ফুলি পুখুৰী-বোৰ জেৱেই জকমকাই আছে।" এনেকৈ কৈ কৈ যক্ষৰাজে নিৰ্বোধ বণিকৰ গাড়োৱানটোৰ ফালে চাই সুধিলে আৰু সিহঁতৰ লগত কথা-বতৰা আৰম্ভ কৰিলে—

"আপোনালোক পিছে ক'লৈ?"

"অমুক ঠাইলৈ।"

"এই গাড়ীবোৰত কি মাল আছে?"

"বেপাৰৰ কাৰণে নানা তৰহৰ মাল।"

"এই শেষৰ কেইখন গাড়ী বৰ গধুৰ যেন দেখা গৈছে। সেইবোৰত নো কি আছে?"

"পানী আমি আগেই কৰিছিলোঁ, কাৰণ [illegible] পানী বৰ [illegible] আছিল। কিন্তু এতিয়া আৰু পানীৰ প্ৰয়োজন নহ'ব। সমুখত অপৰ্যাপ্ত পানী আছে। এতিয়া পানীবোৰ পেলাই কলহবোৰ [illegible]। [illegible] কৰিলে লোকা পাতলিব আৰু গাড়ীবোৰো [illegible] চলিব।"

ইয়াকে কৈ যক্ষৰাজে ঘপকাই কলে, "পিছে আপোনালোকৰ মতেই। কথাই-মাতে পলম হে হৈছে। আমিও যাওঁগে।" এই বুলি গাড়ী চলাবলৈ লাগিল। কিছু দূৰ গৈ, বণিকৰ গাড়ীবোৰ নেদেখা হোৱাত যক্ষকেইজন নিজৰ থকা ঠাইলৈ গ'ল।

ইফালে মূৰ্খ বণিকে কলহৰ পানী আটাইবোৰ যক্ষৰাজৰ কথাত ভোল গৈ পেলাই দিয়ালে। থাবলৈ অলপো পানী নাথাকিল। এইদৰে বোজা কমাই পুনৰ গাড়ী চলাবলৈ লাগিল। কিন্তু বহুদূৰ গৈও তেওঁলোকে ক'তো বৰষুণ হোৱা বা পানী পোৱাৰ কোনো আশংকা নেদেখিলে। ক্ৰমে ক্ৰমে বেলি পৰি আহিল। চকা ডুব গ'ল। সাঁজ লাগিল। বণিক আৰু গৰু-গাড়োৱান সকলোবোৰ পিয়াহত কাতৰ হৈ পৰিল। বণিকৰ আদেশ মতে গাড়ীবোৰ বাখি বাটৰ কাষত সকলোৱে বিশ্ৰাম লবলৈ থিৰ কৰিলে। চাৰিওফালে গৰু আৰু গাড়ীবোৰ থৈ মানুহবোৰ মাজত থাকিল। কিন্তু গৰু, গাড়োৱান, বণিক আদি সকলোৱে পিয়াহত চট্‌ফটাবলৈ ধৰিলে। অৱশেষত ভোকে পিয়াহে আতুৰ হৈ সকলোৱে মাটিত শুই পৰিল; কিন্তু কাৰো চকুলৈ টোপনি নাহিল।

ৰাতি ৰাতি আন্ধাৰ হৈ আহিল। যক্ষবিলাকে নিজ নিজ থকা ঠাইৰ পৰা বাহিৰ হৈ অবিবেকী বণিকৰ মানুহ-গৰু সকলোকে আক্ৰমণ কৰিলে আৰু খন্তেকৰ ভিতৰতে সকলোকে মাৰি সিহঁতৰ মাংস খাই হাড়ি পেলালে। মূৰ্খ বণিকৰ দুৰ্বুদ্ধিৰ কাৰণে এইদৰে সকলো প্ৰাণী বিনষ্ট হ'ল। সিহঁতৰ হাড়-মূৰবোৰ চাৰিওফালে সিঁচৰতি হৈ পৰি থাকিল। গাড়ীবোৰ যেনেকৈ আছিল তেনেকৈ ৰৈ থাকিল। যক্ষইতো সমুলি হাড় নিদিলে। কাৰণ সিহঁতক হাড়-মূৰলৈকে খাবলৈ মাংস পালেই হয়।

ইয়াৰ প্ৰায় ডেৰ মাহমান পিছত বোধিসত্ত্বই পাঁচ শ গৰুৰ গাড়ীত বেপাৰৰ বস্তু বোজাই দি সেই একে ঠাইলৈকে যাবলৈ ওলাল। সকলো বস্তু ঠিক-ঠাক কৰি লৈ গৈ গৈ তেওঁ আগৰ বণিকৰ দৰে সেই ঠিয়াত পথাৰখনৰ ওচৰ পালে। তেওঁৰ গাড়ীত প্ৰচুৰ পৰিমাণে পানী বোজাই আছিল। সুবিশাল মৰুভূমিৰ দৰে ইমুৰ সিমুৰ মণিব নোৱাৰা পথাৰখন দেখি তেওঁ শিঙা বজাই সকলোকে সাৱধান কৰি দিলে আৰু মোৰ হুকুম নোহোৱাকৈ ক'তো এটোপা পানীও অপব্যয় নকৰিবলৈ কলে।

লগৰীয়াবোৰক সতৰ্কবাণী শুনাই বোধিসত্ত্ব গাড়ীবোৰৰ আগে আগে বাট দেখুৱাই যাবলৈ লাগিল। গৈ গৈ মাজমান পোৱাত আগৰ দৰে সাজপাৰ পিন্ধি যক্ষৰাজে অনুচৰবোৰক লগত লৈ গাড়ীত উঠি বিপৰীত ফালৰপৰা বোধিসত্ত্বৰ লগত ভেটাভেটি হ'ল আৰু আগৰ দৰেই সম্মুখত বৰষুণ হৈ থকাৰ খবৰ দিলেহি।

যক্ষক দেখি বোধিসত্ত্বই ভাবিলে, এই জনমানৱশূন্য বিশাল প্ৰান্তৰত এনে অসাধাৰণ সাজপাৰ পিন্ধি কোন মানুহ আহিব ? ই নিশ্চয় কোনোবা মায়াবী যক্ষ। —চকুৰ ফালে চাই দেখে চকু দুটাও ভাং-খোৱা মানুহৰ চকুৰ দৰে ৰঙা। ৰ'দত ভালকৈ লক্ষ্য কৰি দেখে মানুহজনৰ ছাঁ মাটিত পৰা নাই। তেওঁৰ আৰু বুজিবলৈ বাকী নাথাকিল যে সেইটো মানুহ নহয়, যক্ষ। নিৰ্ব্বোধ বণিক ইয়াৰ দ্বাৰা নিশ্চয় কিবা প্ৰকাৰে প্ৰবঞ্চিত হৈছে—বোধিসত্ত্বৰ তৎক্ষণাৎ সন্দেহ উপজিল।

বোধিসত্ত্বই যক্ষৰ ছলাহী কথালৈ কাণ নকৰি উপস্থিত বুদ্ধি খটাই গৰ্জ্জনাই কলে, "দূৰ হ পাপিষ্ঠ। আমি সাউদৰ সন্তান, আমাক ঠগিব নোৱাৰিবি। নিজ চকুৰে পানী নেদেখিলে তোৰ দৰে হেজাৰ জনে আহি সোণৰ মুখেদি কলেও তাক আমি নপতিয়াওঁ। যেতিয়া পানী পাম তেতিয়া নিজৰ বুধিৰেই গাড়ীৰ বোজা পাতলাব পাৰিম ; তোৰ উপদেশৰ প্ৰয়োজন নাই। আমি দেখিলেহে লেখোঁ।"

বোধিসত্ত্বৰ এনে কঠুৱা কথা শুনি যক্ষৰাজ বিফল-মনোৰথ হ'ল আৰু নিজ বাটেদি খোজ ললে। ইফালে যক্ষ গৈ চকুৰ আঁৰ হোৱাত বোধিসত্ত্বৰ অনুচৰবিলাকে কবলৈ ধৰিলে, "মহাশয়, এই মানুহজনে দেখোন কৈ গল যে আমাৰপৰা অলপ দূৰতে বহুত পুখুৰী আছে। তাৰ ওচৰত বৰষুণো হৈ আছে। সেই মানুহজন আৰু তেওঁৰ লগৰীয়া কেইজনৰ বেহ-ৰূপ দেখি কথাটো সঁচা যেন লাগিল ; কিয়নো সিহঁতৰ কাপোৰ-কানি তিতা, হাতত পদুম ফুল, মূৰত পদুমৰ মোলান আৰু ডিঙিত ভেট-পদুম আদিৰ মালা। গতিকে আমিনো পানীৰ ভাৰ মিছাতে কঢ়িয়াই মৰোঁ কিয় ?"

বোধিসত্ত্বই তেতিয়া গাড়ীবোৰ ৰখালে আৰু সকলোকে সুধিলে, "এই ঠাইত পানী আছে বুলি ইয়াৰ আগতে কোনোবাই তোমালোকক কৈছিল

জানো ?" সকলোৱে কলে, "নাই।" বোধিসত্ত্বই কলে, "এৰা, পানী নাই বাবেই ইয়াৰ নাম নিৰুদক পথাৰ।"

তাতে লগৰীয়াসকলৰ কোনোবা এজনে কলে, "আগত কিন্তু বৰষুণ-হোৱা যেন দেখি।" বোধিসত্ত্বই কলে, "বাৰু, কোৱাচোন বৰষুণ হলে কিমান দূৰৰ পৰা চেঁচা বতাহৰ গন্ধ পোৱা যায় ?

"এক যোজনমান দূৰৰ পৰা।"

"তোমালোকে পিছে আজি চেঁচা বতাহ পাইছা নেকি ?"

"নাই।"

"বাৰু, তোমালোকৰ কোনোবাই আজি আকাশত ক'ৰবাত লেশমাত্ৰ মেঘ দেখিছা জানো ?"

"নাই দেখা।"

"বৰষুণ হলে কিমান দূৰৰপৰা মেঘ দেখা যায় ?"

"প্ৰায় এক যোজন দূৰৰপৰা।"

"বিজুলী এক ?"

"চাৰি-পাঁচ যোজন দূৰৰপৰা।"

"মেঘৰ গাজনি কিমান দূৰৰপৰা শুনা যায় ?"

"প্ৰায় এক যোজন দূৰৰপৰা।"

"তোমালোকৰ কোনোবাই এইবোৰৰ চিন আজি পাইছা নেকি ?"

"নাই।"

"তেনেহলে মই তোমালোকক এতিয়া আচল কথা কওঁ শুনা। যি-বিলাক মানুহে আমাক পানী পেলাই দিবলৈ উপদেশ দিছিল এইবোৰ প্ৰকৃত মানুহ নহয়, যক্ষ। সিহঁতৰ বুধি আছিল এই যে পানী পেলাই দি আমি ভাগৰত লাল-কাল হলে সিহঁতে আমাক মাৰি আমাৰ মাংস খাব। মোৰ এতিয়া এনে আশঙ্কা হৈছে যে আমাৰ ভেৰমাহ আগতে অহা বণিকক তেওঁৰ লগৰীয়াবোৰৰে সৈতে ইহঁতে জানোচা বিনাশ কৰিলে। গতিকে সাৱধান, কোনেও যেন এটোপাও পানী নেপেলোৱা।"

বোধিসত্ত্বই এইদৰে কোৱাত গাড়ী চলাই সকলোবোৰে বেগাই বাটলৈ ধৰিলে। পিছত, গৈ গৈ য'ত মূৰ্খ বণিকক তেওঁৰ গৰু আৰু অনুচৰ-বৰ্গৰে সৈতে সকলোকে যক্ষইতে খাইছিল সেই ঠাইৰ ওচৰত ওলালহি।

ভাঁত গাড়ীবোৰ চাৰিওফালে সজাই ৰাখি মানুহবোৰে যাজত ভাত-পানী ৰান্ধি খাই বিশ্ৰাম ললে। গৰুবোৰকো ঘাঁহ-পানী খুওৱা হ'ল। বোধি-সত্ত্বৰ আদেশমতে জনবিয়েক ধনী লোকে হাতত তৰোৱাল লৈ ৰাতি পহৰা দিলে। ৰাতি এইদৰে গ'ল।

ৰাতি পুৱালত সকলোৱে অলপ দূৰত পৰি থকা মূৰ্খ বণিকৰ গাড়ী-বোৰ বেলিৰ পোহৰত জিলিকি থকা দেখিবলৈ পালে। গোটেই ঘটনাটো বুজিবলৈ তেতিয়া আৰু কাৰো একো বাকী নাথাকিল। তাৰে কিছুমান বছা-বছা বস্তু কোনো কোনোৱে গাড়ীত ভৰাই ললে আৰু বেলি ওলোৱাৰ পিছত গন্তব্য স্থানলৈ যাত্ৰা কৰিলে।

তেওঁলোকে এইদৰে বণিজ কৰি প্ৰচুৰ ধন ঘটিলে আৰু যথাসময়ত নিজৰ দেশলৈ উভতি আহিল। বোধিসত্ত্বই লাভৰ অংশ সকলোকে ভগাই দিলে আৰু সকলোৱে সুখে-সন্তোষে থাকিল।

———

তণ্ডুল-নালী জাতক

আগৰ দিনত কোনো কোনো ৰজাৰ সভাত অৰ্ঘকাৰক বুলি এজোন বিষয়া আছিল। অৰ্ঘকাৰকৰ কাম আছিল ৰজাৰ ঘৰত বস্তুৰ দাম-দৰ ঠিক কৰি দিয়া। ৰজাৰ ঘৰলৈ বেচিবলৈ অনা বস্তুৰ দাম অৰ্ঘকাৰকেহে ঠিক কৰি দিছিল। তেওঁৰ অনুগ্ৰহ হলে কেতিয়াবা কোনো বেপাৰীয়ে উচিত-তকৈও বেছি মূল্য পাইছিল আৰু কাৰোবাৰ হয়তো মূলো গৈছিল।

তাহানি বাৰাণসী নগৰত ব্ৰহ্মদত্ত যেতিয়া ৰজা আছিল—সেই সময়ত বোধিসত্ত্ব আছিল তেওঁৰ অৰ্ঘকাৰক। বোধিসত্ত্বই হাতী, ঘোঁৰা, বস্ত্ৰ-অলঙ্কাৰ আদিৰ মূল্য নিৰ্দ্ধাৰণ কৰি বেচোঁতাসকলক যাৰ যি প্ৰাপ্য তাক সেইমতে পৰিশোধ কৰিছিল।

পিছে, ৰজা ব্ৰহ্মদত্ত আছিল বৰ কৃপণ আৰু অৰ্থলোভী। এদিন তেওঁ ভাবিলে—এই অৰ্ঘকাৰকে যিদৰে বস্তুৰ দাম-দৰ নিৰ্ণয় কৰিব লাগিছে, ই দেখিছোঁ অচিৰে ৰাজ-ভঁৰাল উদং কৰিব। ইয়াক কামৰপৰা বিদায় দি অন্য এজনক হে অৰ্ঘকাৰক পাতিব লাগিব।

কাক অৰ্ঘকাৰক পতা যায় তাকে ভাবি ৰজাই স্থিৰ কৰিলে যে খিৰিকী মেলিয়েই যাকে পোনতে দেখা যায় তাকেই এই কাম দিয়া হব। তাকে স্থিৰ কৰি তেওঁ খিৰিকী মেলি বাহিৰলৈ চাই পঠিয়ালে। দৈৱাৎ সেই সময়ত বাটেদি এটা হজুৱা মানুহ গৈছিল। ৰজাই মানুহটোক মতাই আনি সুধিলে, "তুমি অৰ্ঘকাৰকৰ কাম কৰিব পাৰিবা?" মানুহটো বৰ মূৰ্খ আৰু লুভীয়া আছিল। সি উত্তৰ দিলে, "মহাৰাজৰ অনুগ্ৰহ হলে বন্দীয়ে সেই কাম নোৱাৰিবৰ কোনো কাৰণ নাই।" তেতিয়া ৰজাই সেই মুহূৰ্ত্ততেই মানুহটোক অৰ্ঘকাৰকৰ কামত নিযুক্ত কৰি বোধিসত্ত্বক বিনা দোষতে খেদি পেলালে। বোধিসত্ত্বই কিন্তু মনত অকণো বেজাৰ নকৰি ৰাজসভাতেই থাকিল।

ইফালে হজুৱাই সে 'এদিন ভিতৰতে অৰ্ঘকাৰকৰ খিতাপ পাই নিজৰ পূৰ্ব্ব অৱস্থা পাহৰি গ'ল। অহঙ্কাৰত ওফন্দি পৰি সি এনেকৈ নজৰাকৈয়ে যি বস্তুৰ দাম মুখত যি আহে তাকে বুলি কৈ দিবলৈ ধৰিলে। এনেকৈ

কণ্ঠতে হাতী-ঘোঁৰাৰ দামো কেতিয়াবা ইহঁত-পাৰৰ দামৰ দৰে হৈ গ'ল। অথচ কোনেও অৰ্ঘকাৰকৰ আদেশ অমান্য কৰিবলৈ সাহ নকৰিলে; কাৰণ তাকে কৰিলে আপত্তিকাৰীয়ে নিজৰ মৰণ নিজে মাতি আনিব। কিয়নো অৰ্ঘকাৰকে কোনো বেপাৰীৰ বিৰুদ্ধে আপত্তি কৰিলে ৰজাই বিনাবিচাৰে তাৰ প্ৰাণদণ্ডৰ আদেশ দিছিল।

এইদৰে কিছুদিন গ'ল। এদিন উত্তৰ ফালৰপৰা কোনো এক ৰাজ্যৰ এটা ঘোঁৰা-বেপাৰী ঘোঁৰা বেচিবলৈ আহিল। তাৰ লগত পাঁচ শ ঘোঁৰা আছিল। ৰজাই অৰ্ঘকাৰকক দাম-ধৰ ঠিক কৰি ঘোঁৰাবোৰ ৰাখিবলৈ কলে

ৰজাৰ আদেশ মতে অৰ্ঘকাৰকে ঘোঁৰাবোৰ চালেগৈ আৰু কলে, "এই পাঁচ শ ঘোঁৰাৰ দাম এক নালী* চাউল। তাকে কৈ অৰ্ঘকাৰকে ঘোঁৰা-বোৰ ৰজাৰ ঘোঁৰাশালত থৈ বেপাৰীক দাম দি পঠিয়াবলৈ ভৃত্যক নিৰ্দ্দেশ দিলে। কাৰ্য্য দেখি সকলো মানুহ আচৰিত হ'ল যদিও, কোনেও কিন্তু ভয়ত মুখ ফুটাই একো কব নোৱাৰিলে। বেপাৰীয়েও নিৰুপায় হৈ ঘোঁৰাৰ দাম লৈ থলে। এই দুৰ্ঘোৰ অন্যায়ৰ কাৰণে তাৰ কিন্তু অন্তৰ দহিবলৈ ধৰিলে।

সি গৈ বোধিসত্ত্বৰ ওচৰ চাপিল; কাৰণ বোধিসত্ত্বক সি আগৰেপৰা ভাল মানুহ বুলি জানে। বোধিসত্ত্বৰ আগত সকলো বৃত্তান্ত বিবৰি কৈ এতিয়া সি কি কৰা উচিত তাৰে উপদেশ সুধিলে।

বোধিসত্ত্বই কলে, "তুমি গৈ অৰ্ঘকাৰকক কিবা কিছু ভেটি দি কবা— 'মহাশয়, আপুনিতো পাঁচ শ ঘোঁৰাৰ দাম এক নালী চাউল বুলি স্থিৰ কৰি দিলেই; কিন্তু এই ৰাজ্যত এক নালী চাউলৰ বা দাম কিমান— সেইটো আমাৰ জনা নাই। দয়া কৰি যদি ৰজাৰ ওচৰত বুজাই দিলে-হেঁতেন তেন্তে দাসে তাৰ মূল্য ফেৰা আদায় কৰি নিব পাৰিলোহেঁতেন।' যদি ইয়াৰ উত্তৰত সি 'বাৰু' বুলি কয় তেন্তে তাক কাৰো-কোকালি কৰি লগে লগে ৰাজসভালৈ লৈ আহিবা। ময়ো ৰাজসভাত থাকিম।"

ঘোঁৰা-বেপাৰীয়ে বোধিসত্ত্বৰ উপদেশ মতে কাম কৰিলে। ভেটি পাই লুভীয়া অৰ্ঘকাৰক ৰাজসভালৈ এক নালী চাউলৰ দাম বুজাবলৈ আহিল। ৰাজসভাত বোধিসত্ত্ব আৰু মন্ত্ৰীসকলো আছিল। ঘোঁৰাৰ-বেপাৰীয়ে হাত

* নালী=এটা ওজন; আমাৰ ৮ পুৰা বা ৩২ দোণৰ সমান।

যোৰ কৰি কলে, "মহাৰাজ, পাঁচ শ ঘোঁৰাৰ যে দাম এক নালী চাউল হ'ল—সেই বিষয়ে মই ৰাজসভালৈ আপত্তি কৰিবলৈ অহা নাই। কাৰণ মই জানো যে অৰ্ঘকাৰক মহাশয়ে স্থিৰ কৰি দিয়া মূল্যত সন্দেহ কৰিলে—তাৰ শাস্তি শিৰশ্ছেদ। মই কেৱল ইয়াকে মিনতিভাৱে সুধিব খুজিছো—এক নালী চাউলৰ দাম কিমান? অৰ্ঘকাৰক মহাশয়ে সেইটো বুজাই দিলে দাসে প্ৰণাম জনাই এতিয়াই বিদাই লয়।"

বেপাৰীৰ বুদ্ধি বুজিব নোৱাৰি ৰজাই অৰ্ঘকাৰকক সুধিলে, "অৰ্ঘকাৰক, পাঁচ শ ঘোঁৰাৰ দাম কিমান?" অৰ্ঘকাৰকে উত্তৰ দিলে, "মহাৰাজ, পাঁচ শ ঘোঁৰাৰ দাম এক নালী চাউল।"

ৰজা অলপ আচৰিত হ'ল। তেওঁ আকৌ সুধিলে, এক নালী চাউলৰ দাম তেন্তে কিমান হব?" অৰ্ঘকাৰকে টপৰাই উত্তৰ দিলে, "মহাৰাজ, এক নালী চাউলৰ দাম ৰজাসহ সমস্ত বাৰাণসী নগৰ আৰু তাৰ দাঁতি-কাষৰীয়া ঠাইবোৰৰ সমান।"

এই কথা শুনি সভাসদ আৰু মন্ত্ৰীসকলে হাঁহিবলৈ ধৰিলে। এজন মন্ত্ৰীয়ে কলে, "ইমান দিনলৈ আমি জানিছিলোঁ ৰজাসহ ৰাজ্য এখনৰ মূল্য নিৰূপন কৰা নাযায়। আজি শিকিলোঁ যে সমস্ত বাৰাণসী নগৰ আৰু মহাৰাজৰ মূল্য মাত্ৰ এক নালী চাউল! আহা! অৰ্ঘকাৰকৰ কি অদ্ভুত বুদ্ধি। এওঁক বা কাম দিছিলে কোনে?"

ৰজাই বৰ অপমান পালে, আৰু অলপ সময় তলমূৰকৈ থাকি অৱশেষত হুজুৰা অৰ্ঘকাৰকক কামৰপৰা বিদায় দি বোধিসত্ত্বক পুনঃ সেই পদত নিযুক্ত কৰিলে। বোধিসত্ত্বই ঘোঁৰা-বেপাৰীক যথোচিত মূল্য দি বিদায় দিলে।

দেৱধৰ্ম্ম-জাতক

পূৰ্ব্বে কালত বাৰাণসী ৰাজ্যত ব্ৰহ্মদত্ত বুলি এজন ৰজা আছিল। বোধিসত্ত্বই তেওঁৰ পুত্ৰৰূপে জন্মগ্ৰহণ কৰি মহিংসাসকুমাৰ নাম পাইছিল। বোধিসত্ত্বৰ বয়স যেতিয়া আজি-কালিকৈ তিনি বছৰ হ'ল তেতিয়া তেওঁৰ

এটা ভাৰেক জন্মিল। ৰজাই ইজন পুতেকৰ নাম ৰাখিলে চন্দ্ৰকুমাৰ। চন্দ্ৰ-কুমাৰ লৰি-চৰি ফুৰিব পৰা হোৱাত এদিন হঠাৎ ৰাণীৰ মৃত্যু হ'ল।

মহিংসাসকুমাৰ আৰু চন্দ্ৰকুমাৰ—তিঁয়হঁতৰ জালা যেন এই মাউৰা পোনা দুটিকে বুকুত বান্ধি ৰজাই তেতিয়া দিন নিয়াবলৈ ধৰিলে; আৰু ল'ৰা দুটিক কোনো বিষয়ত কষ্ট পাব বুলি তেওঁ পুনৰ বিয়া নকৰাবলৈয়ে স্থিৰ কৰিলে।

এনেকৈ বহুত দিন গ'ল। ৰজাই যেতিয়া ৰাণীৰ শোক লাহে লাহে পাহৰি আহিল তেতিয়া তেওঁৰ বন্ধু-বান্ধৱসকলে সুবিধা পালেই তেওঁক বিয়াৰ কাৰণে উদগাবলৈ ধৰিলে। শেষত তেওঁৰো মন কুমলিল। পুতেকহঁতৰ তত্ত্বাৱধানৰ অসুবিধা দেখুৱায়ে তেওঁ বিয়াত মত দিলে। বিয়া যথাবিহিত ভাৱে হৈ গ'ল।

নতুন ৰাণীয়ে প্ৰথমে ল'ৰা দুটিক বৰকৈ মৰম কৰিছিল। ল'ৰা দুটিয়ে ৰাণীক নিজৰ মাকৰ দৰে শ্ৰদ্ধা কৰিছিল। কিন্তু দিন গৈ অহাৰ লগে লগে সাধাৰণতে যি ঘটে সেয়ে ঘটিল। বিমাতাৰ চেনেহৰ ক্ৰমে ক্ৰমে হীন-ডেটি ঘটিবলৈ ধৰিলে। এনে সময়তে সিহঁতৰ মাহীমাক, নতুন মহিষীয়ে এটি পুত্ৰ সন্তান প্ৰসৱ কৰিলে। ৰাজ্যময় আনন্দৰ কল্লোল উঠিল। গণি-পঢ়ি চাই ৰাজকুমাৰৰ নাম দিয়া হ'ল—সূৰ্য্যকুমাৰ। ৰজাই নতুনকৈ পুত্ৰ লাভ কৰি আনন্দত অধীৰ হৈ এদিন ৰাণীক কলে, "প্ৰিয়ে, পুত্ৰ লাভত তুমি বৰ ভাগ্যৱতী হ'লা। তোমাক মই এতিয়া যি বৰ লাগে তাকে দিবলৈ মান্তি আছো। কিন্তু এটা বৰ হে লব পাৰিবা। কোৱা প্ৰিয়ে, কি বৰ লাগে কোৱা।

ৰাণীয়ে কলে, "মহাৰাজ মোৰ প্ৰতি ইমান দয়ালু হোৱা বাবে মই সঁচা-কৈয়ে নিজকে ভাগ্যৱতী বিবেচনা কৰিছোঁ। কিন্তু এই মুহূৰ্ত্তত মই আজি মহাৰাজৰপৰা একো বৰ নলওঁ। কেতিয়াবা লম। মহাৰাজে অনুগ্ৰহ কৰি এই কথা মনত ৰাখিলেই হব।" ৰজাই 'বাৰু' বুলি শান্তি থলে।

ক্ৰমে ক্ৰমে সূৰ্য্যকুমাৰ ডাঙৰ হৈ আহিল, আজি-কালিকৈ গৈ লাহে লাহে যৌৱনৰ দুৱাৰ-ডলিত ভৰি দিলে। ইয়াকে দেখি এদিন ছেগ চাই ৰাণীয়ে ৰজাক কলে, "মহাৰাজ, সূৰ্য্যকুমাৰৰ শিশুকালতে আপুনি যে মোক এটা বৰ দিব খুজিছিল—বোধহয় মনত আছে।" ৰজাই 'আছে' বুলি কলে। ৰাণীয়ে তেতিয়া কলে, "যদি আছে তেনেহলে সেই বৰেৰে এতিয়া আপুনি আপোনাৰ প্ৰিয় পুত্ৰ সূৰ্য্যকুমাৰক সিংহাসন দান কৰক।"

কথা শুনি ৰজা বিবুদ্ধিত পৰিল। নিজৰ অঙ্গীকাৰ ৰক্ষা কৰিবলৈ গৈ তেওঁ তেনে এটা মহৎ অন্যায় কৰিব নোৱাৰে। তিৰোতাৰ বুদ্ধি দেখি তেওঁৰ খন্তেকৰ কাৰণে সংসাৰৰ প্ৰতি বিৰক্তি আহিল। কথাৰ [illegible] সূৰ্য্য ধৰি তেওঁ কলে, মোৰ প্ৰথম পুত্ৰও সূৰ্য্যকুমাৰকলৈ [illegible]। এনে স্থলত নীতি-বিৰুদ্ধ কাম কৰি মই পাপ [illegible]। সেই কথা কেতিয়াও হব নোৱাৰে। মহিংসাসকুমাৰক [illegible]।"

ৰজাই ইয়াকে কৈ কিছুপৰ নিতাল মাৰিলে। ৰাণীও কিন্তু সহজতে নিবৃত্ত হোৱা বিধৰ তিৰোতা নহয়। তেওঁ হতাশ নহ'ল। প্ৰাৰ্থনা পূৰ কৰিবৰ কাৰণে শোওঁতে-বহোঁতে, খাওঁতে-ফুৰোঁতে যেতিয়াই সুবিধা পায় তেতিয়াই তেওঁ ৰজাক খাটিবলৈ ধৰিলে। তেতিয়া ৰজাৰ আশঙ্কা হ'ল— জানোচা ৰাণীয়ে সপত্নীৰ পুত্ৰ দুটিৰ কিবা অনিষ্ট কৰে! সেই কাৰণে তেওঁ মহিংসাসকুমাৰ আৰু চন্দ্ৰকুমাৰক মাতি আনি কলে, "বোপাইত, সূৰ্য্যকুমাৰৰ শিশুকালত মই এদিন তোমালোকৰ মাহী মাৰাক এটা বৰ দিব খুজিছিলোঁ। তেওঁ তেতিয়া বৰটো নলৈ পিছত লম বুলি কৈছিল। এতিয়া সেই বৰেৰে তেওঁ মোক সূৰ্য্যকুমাৰক ৰাজপাটত [illegible]। কিন্তু তোমালোকক মই সিংহাসনৰ পৰা বঞ্চিত কৰিব নোৱাৰোঁ। [illegible] মতাৰ উদ্দেশ্য এই যে তিৰোতাৰ [illegible] কথা [illegible] বোলে স্ত্ৰীবুদ্ধি প্ৰলয়ঙ্কৰা। মোৰ এতিয়া [illegible] জানো [illegible] সূৰ্য্যকুমাৰক সিংহাসন দিয়াৰ লোভত ৰাণীয়ে তোমালোকৰ সৰ্ব্বনাশ কৰে। গতিকে মোৰ উপদেশ—তোমালোক এতিয়া ৰাজ্যৰপৰা পলাই গৈ হাবি-বননিত আশ্ৰয় লৈ থাকাহঁক। মোৰ মৃত্যুৰ পিছত শাস্ত্ৰৰ নীতিমতে এই ৰাজ্য তোমালোকৰেই প্ৰাপ্য। তেতিয়া তোমালোকে আহি সিংহাসন গ্ৰহণ কৰিবা।"
—এইদৰে কৈ ৰজা [illegible] হ'ল। চকুৰেদি তেওঁৰ চকুলো বৈ গ'ল। মহিংসাস কুমাৰ আৰু চন্দ্ৰকুমাৰেও ৰজাৰ অৱস্থা দেখি শোকত বিহ্বল হ'ল আৰু কান্দি কান্দি দুয়ো পিতাকক সেৱা জনাই বিদায় ললে।

ৰাজকুমাৰ দুজনে যেতিয়া পিতাকক সেৱা কৰি কান্দি-কান্দি বিদায় ললে—সেই সময়ত সূৰ্য্যকুমাৰে চোতালত কিবা কাম কৰি আছিল। ককায়েকহঁত বনলৈ যোৱাৰ পিছত তাৰ কাৰণ জানিব পাৰি তেওঁৰ মনত বৰ দুখ লাগিল। তেৱোঁ ককায়েকহঁতৰ লগত বনলৈ যাবলৈ স্থিৰ কৰিলে আৰু

এদিন সঁচাকৈয়ে ঘৰৰ পৰা ওলাই গ'ল। বহুত অন্বেষণৰ অন্তত তেওঁ ককায়েকহঁতক লগ ধৰিলেগৈ। ককায়েকহঁতে সূৰ্য্যকুমাৰক নানা প্ৰকাৰে বুজাই ঘৰলৈ পঠাবলৈ যত্ন কৰিলে; কিন্তু সকলো বিফল হ'ল। তেওঁ উভতি নগ'ল। তেতিয়া তিনিও একেলগে বনবাস খাটিবলৈকে স্থিৰ কৰিলে।

ৰাজকুমাৰসকল গৈ গৈ হিমালয় পৰ্ব্বতত উঠিল। তাত হাবিৰ মাজে মাজে ফুৰি থাকোঁতে এঠাইত তেওঁলোকে এটা বিতোপন সৰোবৰ দেখিবলৈ পালে। সৰোবৰটো পদুম ফুলেৰে ঢাক খাই আছিল। তাৰেই পাৰৰ এজোপা গছৰ তলত তিনিওজন ৰাজকুমাৰ খন্তেক জিৰাবলৈ বহিল।

বহুত দূৰ ফুৰি ফুৰি পিয়াহ লগা কাৰণে সূৰ্য্যকুমাৰে ককায়েক বোধিসত্ত্বক কলে, "ককাইদেউ, মোৰ বৰ পিয়াহ লাগিছে; এই হ্ৰদৰপৰা মই পানী খাই আহোঁনে?" বোধিসত্ত্বৰো পিয়াহ লাগিছি। গতিকে তেওঁ কলে, "যোৱা ভাই, হাত-মুখ ধুই উঠি পানী খাই উঠি পদুমৰ পাতত মোৰ কাৰণেও কিছু পানী লৈ আহিবা।" সূৰ্য্যকুমাৰ গ'ল।

এই সৰোবৰ পূৰ্ব্বে কুবেৰৰ অধিকাৰত আছিল। তেওঁ তাক এটা জল-ৰাক্ষসক দান কৰি দি কৈছিল, "দেৱধৰ্ম্মৰ বিষয়ে জ্ঞান নথকা যি মানুহেই ইয়াত নামিব তাকেই তুমি ধৰি খাবা। কিন্তু পানীত ননমা মানুহৰ ওপৰত হলে তোমাৰ কোনো অধিকাৰ নাথাকিব।" সেই দিন ধৰি ৰাক্ষসে কোনোবা মানুহ পানীত নামিলেই দেৱধৰ্ম্ম কি সোধে আৰু তাৰ যথাযথ উত্তৰ দিব নোৱাৰিলেই তাক খাই পেলায়।

সূৰ্য্যকুমাৰে এই কথা নাজানিছিল। তেওঁ নিশ্চিন্ত মনে গৈ পানীত নামিবলৈহে পালে, জল-ৰাক্ষসে আহি তেওঁক ধৰি লৈ প্ৰশ্ন কৰিলে, 'দেৱধৰ্ম্ম কিহক বোলে তুমি জানা?" সূৰ্য্যকুমাৰ স্তম্ভিত হ'ল। তেওঁ ভাবিলে, 'উত্তৰ নিদিলে ই মোক নেৰে।' গতিকে তেওঁ কলে, "মই জনাত দেৱতাসকলৰ ভিতৰত চন্দ্ৰ আৰু সূৰ্য্য—এই দুজনা বৰ কৰ্ত্তব্যপৰায়ণ। কৰ্ত্তব্য পালনত তেৰাসকলে যি আদৰ্শ দেখুৱাইছে—সেয়ে দেৱধৰ্ম্ম।" ৰাক্ষসে কলে, "ওহো, মিছা কথা। তুমি দেৱধৰ্ম্ম কি নাজানা। সেই-বোৰ টাংবাং নাখাটে।"—এই বুলি কৈ সি ৰাজকুমাৰক পানীৰ মাজলৈ টানি লৈ গ'ল আৰু সৰোবৰৰ ভিতৰত থকা এটা ধুনীয়া ঘৰত বন্ধ কৰি থলে। এই ঘৰটোৱেই আছিল—জল-ৰাক্ষসৰ ঘৰ।

ইফালে সূৰ্য্যকুমাৰ বহুত পৰলৈ ঘূৰি নহা দেখি বোধিসত্ত্বই চন্দ্ৰকুমাৰক তেওঁৰ অনুসন্ধান কৰিবলৈ পঠাই দিলে। চন্দ্ৰকুমাৰে সূৰ্য্যকুমাৰৰ গতি-পথ অনুসৰণ কৰি গৈ গৈ হ্ৰদত নামিল। তেওঁকো সেই একেদৰেই ৰাক্ষসে ধৰি প্ৰশ্ন কৰিলে, "দেৱধৰ্ম্ম কি?" চন্দ্ৰকুমাৰেও উপায়ান্তৰ নাপাই কলে, "পূব, পশ্চিম, উত্তৰ আৰু দক্ষিণ—এই চাৰি দিশ জুৰি দেৱতাসকলৰ প্ৰভুত্ব আছে। গতিকে এই চাৰি দিশেই দেৱধৰ্ম্ম-বিশিষ্ট।" ৰাক্ষসে কৰ্কশ হাঁহি এটা মাৰি—"ভুৱা দিবলৈ ঠাই নাপালি?"—বুলি পানীৰ মাজলৈ চন্দ্ৰকুমাৰকো টানি লৈ গ'ল আৰু সূৰ্য্যকুমাৰৰ লগত বান্ধি থৈ আহিল।

বহুত সময়লৈ চন্দ্ৰকুমাৰকো ঘূৰি নহা দেখি বোধিসত্ত্বই ভাবিলে—'নিশ্চয় দুয়োৰো কিবা বিপদ ঘটিছে; ময়ো সিহঁতক বিচাৰি যাবহে লাগিল। এনেকৈ ভাবি তেওঁ ভায়েকহঁত যোৱা বাটেদি গ'ল আৰু অলপ সময়ৰ ভিতৰতে সৰোবৰৰ দাঁতি পালেগৈ। পানীৰ দাঁতিত পৰি থকা খোজবোৰ দেখি তেওঁৰ মনত সন্দেহ উপজিল। তেওঁ ভাবিলে—'এই সৰোবৰত নিশ্চয় জল-ৰাক্ষস আছে।' গতিকে পোনেই পানীত নানামি পাৰত ধনু-কাঁড় থৈ, তৰোৱালখন হাতত লৈ ৰাক্ষসৰ কাৰণে বাট চাই থাকিল।

জল-ৰাক্ষসে যেতিয়া দূৰৰপৰা দেখিলে যে বোধিসত্ত্বই পানীত নামিব খোজা নাই তেতিয়া সি এটা বনবাসী মানুহৰ ৰূপ ধৰিলে আৰু বোধিসত্ত্বক কলেহি, "হেৰা বাটকৰা ভাই, দেখিছোঁ তুমি বহুদূৰ বাট ভ্ৰমি আহি তেনেই ভাগৰি পৰিছা। সৰোবৰত হাত-মুখ ধুই পানী আৰু পদুমৰ মোলান খালে গা শীতল পৰিব; তাকে কৰা। ময়ো তাকে কৰিলোঁ।"

বোধিসত্ত্বই তাক দেখিয়েই মায়াৱী ৰাক্ষস বুলি চিনিব পাৰিছিল। তেওঁ কলে, "বাৰু, মোৰ কাৰণে তুমি ভাবিব নালাগে। পিছে মোৰ ভাই দুজনক তুমিয়ে ধৰি ৰাখিছা, নহয় নে?" ৰাক্ষসে ভাবিলে—ই সকলো কথা জানে। ইয়াক ফাঁকি দি কোনো লাভ নাই। গতিকে পোনে পোনেই উত্তৰ দিলে, "এৰা ৰাখিছোঁ।"

"কিয় ৰাখিছা?"

"যিসকল লোক এই সৰোবৰৰ পানীত নামে তেওঁলোক মোৰ ভক্ষ্য।"

"নামিলেই জগৰ লাগিল নে?"

"জগৰ নালাগে—যদি দেৱধৰ্ম্ম কি সেইটো জনা থাকে। দেৱধৰ্ম্ম জানোতাসকল মোৰ ভক্ষ্য নহয়। নজনাসকলহে ভক্ষ্য।"

"তেন্তে ময়ো তোমাক দেৱধৰ্ম্ম কি কব লাগিব নেকি?"

"হওঁতে তুমি পানীত নমা নাই সঁচা; কিন্তু যদি দেৱধৰ্ম্মৰ কথা জানা তেন্তে কলে বেয়া নহয়। অৱশ্যে ভুল হলেও তোমাক মই পানীত ননমালৈকে নাখাওঁ।"

"বাৰু তেন্তে শুনা! কিন্তু তুমি দেখিছাই নহয়, ভাগৱত মই বৰ ক্লান্ত হৈ পৰিছোঁ। মুখেৰে কথা নোলোৱা হৈছে। গতিকে আগেয়ে খাবৰ কাৰণে তুমি মোক অলপ পানী আনি দিয়া।"

তেতিয়া জল-ৰাক্ষসে পানী আৰু ফল-মূল অলপ আনি বোধিসত্বক খাবলৈ দিলে। বোধিসত্বই খাই-বৈ কবলৈ ধৰিলে—

"জিতেন্দ্ৰিয় শান্তসাধু সত্যপৰায়ণ,
নিৰ্ম্মল মনেৰে কৰে ধৰ্ম্ম আচৰণ;
পাপ ভাব কেতিয়াও মনলৈ নানে,
দেৱ-ধৰ্ম্মা বুলি তাক সকলোৱে মানে।"

বোধিসত্বৰ মুখে এনে সাৰুৱা কথা শুনি ৰাক্ষস স্তম্ভিত হ'ল। সি কলে, "তুমি যেখোন পণ্ডিত। তোমাৰ কথা সঁচাকৈয়ে মোৰ মনত লাগিছে। ইয়াৰ কাৰণে মই তোমাক এটা পুৰস্কাৰ দিম। তোমাৰ ভায়েৰা দুজনৰ এজনক মই এৰি দিবলৈ ৰাজী আছোঁ। মাত্ৰ এজনকহে। কোৱা কোনজনক লাগে?"

বোধিসত্বই কলে, "তেনেহলে মোৰ সৰু ভাই সূৰ্য্যকুমাৰকে এৰি দিয়া।"

বোধিসত্বৰ কথাত ৰাক্ষসে আকৌ কলে, "তুমি দেৱধৰ্ম্ম জানা, কিন্তু সেই মতে কাম নকৰা হব পায়।"

বোধিসত্বই কলে, "নকৰিম কিয়? কৰোঁ।"

ৰাক্ষসে কলে, যদি কৰা তেন্তে তোমাৰ ভায়েৰা দুজনৰ ভিতৰত যিজন ডাঙৰ, সেইজনকহে তুমি এৰি দিবলৈ কব লাগিছিল। কাৰণ সৰুজনক এৰি দিবলৈ কোৱাত ডাঙৰজনৰ মৰ্য্যাদা থাকিল ক'ত?"

বোধিসত্ত্বই উত্তৰ দিলে, "শুনা। সকজন মোৰ মাহী আইৰ পুত্ৰ। তেওঁৰ কাৰণেই আমি বনবাসী হৈছোঁ। মাহীয়ে তেওঁক ৰজা পাতিব খুজিছিল। কিন্তু পিতাই তাত সম্মতি নিদিলে আৰু গোপনে আমাক মাতি নি ক'লে যে আমি দুজন বনত লুকাই নাথাকিলে মাহীয়ে ৰাজ্যৰ লোভত কেতিয়াবা বিপদ ঘটাব পাৰে। সেই কাৰণে আমি বনলৈ আহিলোঁ। আমাক অহা দেখি সৰু ভাই সূৰ্য্যও আহিল। অনেক বুজাই-বৰায়ো তেওঁক ঘূৰাই পঠাব নোৱাৰিলোঁ। এনেস্থলত সূৰ্য্যক এৰি আমি কেনেকৈ থাকিম? অন্য মানুহে শুনিলে নকবনে যে আমি ৰাজ্যৰ লোভত সূৰ্য্যকুমাৰক ক'ৰবাত হত্যা কৰিলোঁ? সেই কাৰণেই মই চন্দ্ৰৰ কথা এৰি সূৰ্য্যৰ কাৰণেহে খাটিছোঁ।"

বোধিসত্ত্বৰ এনে যুক্তিপূৰ্ণ কথা শুনি ৰাক্ষসে 'সাধু সাধু' বুলি তেওঁক বখানিবলৈ ধৰিলে, আৰু কলে, "তুমি অকল যে দেৱধৰ্মহে জানা এনে নহয়; সেইমতে কামো কৰা। মই ইমান সন্তুষ্ট হৈছোঁ যে তোমাৰ দুয়ো' ভাইক মই এতিয়াই এৰি দিম।" এই বুলি গৈ ৰাক্ষসে চন্দ্ৰকুমাৰ আৰু সূৰ্য্যকুমাৰক আনি বোধিসত্ত্বৰ হাতত শোধাই দিলেহি।

বোধিসত্ত্বই তেতিয়া কলে, "ভদ্ৰ, তুমি গ'ল জনমত যি কুকৰ্ম্ম কৰিছিলা তাৰেই ফলস্বৰূপে এই জনমত ৰাক্ষস হৈ উপজিছিলা। কিন্তু ইমানতো তোমাৰ শিক্ষা নহ'ল। তুমি এতিয়াও আকৌ পাপ আচৰণ কৰিব লাগিছা। ইয়াৰ পৰিণতি আৰু ভয়াবহ। কিন্তু এতিয়াও সময় আছে। তুমি যদি নিজস্ব কল্যাণ কামনা কৰা তেনেহলে আজিৰপৰা পাপ কাম এৰি সজ পথ অনুসৰণ কৰা।"

বোধিসত্ত্বৰ কথা শুনি জল-ৰাক্ষসৰ মনত অনুতাপ আহিল। সি সেই-দিনাৰপৰা পাপ আচৰণ কৰিবলৈ এৰিলে।

ইফালে বোধিসত্ত্বয়ো ভায়েকহঁতৰে সৈতে সেই বনতে থাকিবলৈ ললে। ৰাক্ষসেই তেওঁলোকৰ ৰক্ষা আৰু ভৰণ-পোষণৰ ভাৰ গ্ৰহণ কৰিলে। এইদৰে বহুত দিন যোৱাত বোধিসত্ত্বই এদিন নক্ষত্ৰবোৰৰ স্থান-স্থিতি পৰীক্ষা কৰি জানিব পাৰিলে যে তেওঁলোকৰ পিতৃদেৱতাই ইহলীলা সম্বৰণ কৰিছে। তেতিয়া তেওঁ দুই ভায়েক আৰু ৰাক্ষসক লগত লৈ বাৰাণসীলৈ উভতি আহিল।

প্ৰজাসকলে ৰাজপুত্ৰসকলক ঘূৰি অহা দেখি মনত বৰ আনন্দ লভিলে, আৰু সকলোৱে মিলি বোধিসত্বক সিংহাসনত বহুৱালে। বোধিসত্বই ৰজা হৈ চন্দ্ৰকুমাৰক যুৱৰাজ আৰু সূৰ্য্যকুমাৰক সেনাপতি কামত নিযুক্ত কৰিলে। তেওঁ জল-ৰাক্ষসৰ কাৰণেও এটা বিতোপন ঘৰ সজাই দি আহাৰ-বিহাৰৰ সুব্যৱস্থা কৰি দিলে। এইদৰে বহুত দিন সুখে-সন্তোষে ৰাজত্ব কৰি থাকি এদিন পুণ্যবাৰে পুণ্য তিথিত বোধিসত্বই পৰলোকলৈ গতি কৰিলে।

ব্যাধ-কপোত কথা

(মহাভাৰত, শান্তি-পৰ্ব্ব)

তেতিয়া ভীষ্ম পিতামহ শৰ-শয্যাত। কুৰুক্ষেত্ৰৰ ৰণ শেষ হৈ গৈছে। নাতিল'ৰা যুধিষ্ঠিৰে পিতামহৰ ওচৰলৈ গৈ সদায় ৰাজনীতি, ধৰ্ম্মনীতি, অৰ্থনীতি আদি বিষয়ৰ গল্প আৰু উপদেশ শুনে। সেইদিনা যুধিষ্ঠিৰে ভীষ্মক কলে, "পিতামহ, শৰণ গতক যেনেকুৱা ভাৱে গ্ৰহণ কৰিব লাগে আৰু অতিথিক্লেই বা যেনেদৰে ব্যৱহাৰ কৰা উচিত ইত্যাদি বিষয়ৰ উপদেশ আজি শুনিব খোজোঁ!"

ভীষ্মই যুধিষ্ঠিৰৰ কথা শুনি কলে, "বাছা, তুমি ভাৰ্গৱ মুনিয়ে তাহানি মুচুকুন্দ ৰজাক কোৱা কপোত-কপোতীৰ কাহিনীটো জানানে?"

যুধিষ্ঠিৰে ন'জানো বুলি কোৱাত ভীষ্মই কলে, "নাজানা যদি শুনা। তাতেই তোমাৰ প্ৰশ্নৰো উত্তৰ পাবা।" এইবুলি ভীষ্মই কবলৈ ধৰিলে—

এসময়ত এটা ব্যাধ আছিল। পশু-পক্ষী মাৰি খোৱা আৰু বিক্ৰী কৰি ধন ঘটাই তাৰ কাম আছিল। সি দেখাতো আছিল ভয়ঙ্কৰ। শৰীৰ কৃষ্ণবৰ্ণ, কঁকাল আৰু পেট বিশাল, আৰু ডিঙিটো তেনেই চুটি।

এদিন সি হাবি-বনত ঘূৰি চিকাৰ কৰি ফুৰোঁতে হঠাৎ আকাশ বাৰিষাৰ ডাৱৰে আৱৰি পেলালে। দিগ্‌বিদিক অন্ধকাৰ হৈ পৰিল।

মেঘৰ গৰ্জনত কাণে তালমাৰি ধৰিবলৈ ধৰিলে। বায়ুৰ হো-হোৱনি আৰু বিজুলীৰ চিকিমিকিত প্ৰলয় উপস্থিত হ'ল। বতাহে হুৰ হুৰকৈ গছ-বৰিখ ভাঙিবলৈ ধৰিলে। বনৰ পশু-পক্ষী সকলোৱে ভয়ত নিতাল মাৰিলে। চাই থাকোঁতেই মেঘে কলহৰ কাণেদি ঢলাৰ দৰে বৰষুণৰ পানী ঢালিবলৈ ধৰিলে। বৃষ্টিৰ প্ৰকোপত যেন পানীয়ে হ-বাম একাকাৰ হৈ পৰিল। ব্যাধে প্ৰকাণ্ড গছ এজোপাৰ আশ্ৰয়ত থিয় হৈ থাকি সময়-খিনি কটালে। জাৰত তাৰ হাত-ভৰি কঁপিবলৈ ধৰিলে। সি লৰচৰ কৰি আঁতৰি যাবও নোৱাৰাত পৰিল ; কাৰণ চাৰিওফালে পানী। প্ৰলয়ৰ বানপানীৰ দৰে পানী। তৰ বুলি ভাবি কোনোমতে খোজ দিব খুজিলেও সি গৈ হিৰিস্কৈ দ-ত হে পৰে। এইদৰে শীতত থকথককৈ কঁপি থাকোঁতে নিচেই ওচৰতে পৰি থকা কপোতী এজনী তাৰ চকুত পৰিল। কপোতী দেখি লুভীয়া ব্যাধৰ দুখ-ভাগৰ কেনিবা গ'ল। আথেবেথে সি গৈ কপোতী-জনীক ধৰি আনি পিঁজৰাত ভৰাই থলে।

চাওঁতে চাওঁতে পশ্চিম আকাশত হেঙুলী বেলি মাৰ গ'ল। পৰিষ্কাৰ আকাশত তৰা-নক্ষত্ৰবোৰ ওলাল। এনেকুৱা নিৰ্ম্মল আকাশ দেখি নিষ্ঠুৰ ব্যাধৰ মুখত আনন্দ বিৰিঙিল। পানীৰ অৱস্থা দেখি ঘৰলৈ ঘূৰি যোৱাৰ কথা কিন্তু সি ভাবিব নোৱাৰিলে। এন্ধাৰ নিশাটো সেই গছ জোপাকে আশ্ৰয় কৰি কটাই দিবলৈ মনস্থ কৰি সি সৰা পাত কিছু গোটাই আনি এখন শয্যা ৰচনা কৰিলে। গছৰ শিপাই হ'ল মূৰ-শিতান। তাকে কৰি লৈ সি গছজোপাক প্ৰণাম কৰি কলে, "হে বৃক্ষদেৱতা, মই আজি এই ঘোৰ বিপদত পৰি তোমাত শৰণ লৈছোঁ। মোক যেন ৰাতিটো নিৰা-পদে ৰক্ষা কৰা।"

সেই গছজোপাতেই চিত্ৰগ্ৰীৱ নামে এটা কপোত সপৰিয়ালে বাস কৰিছিল। চিত্ৰগ্ৰীৱ আছিল পক্ষীসকলৰ ৰজা। কপোতী আৰু কণ কণ পোৱালি দুটিক লৈ তাৰ সংসাৰখন। সেইদিনা ৰাতিপুৱাই আকৌ কপোতী গৈছিল পোৱালি দুটিৰ কাৰণে আহাৰ বিচাৰি। চিত্ৰগ্ৰীৱই পোৱালি দুটাৰ তত্ত্বাৱধান লৈ বাহটো ৰখি আছিল। সাঁজ পৰি যোৱা-

---

* কপোতী—কুপতী, কপৌ।

লৈও ধৈৰ্য্যৈকক উভতি নহা দেখি চিত্ৰগ্ৰীৱৰ অন্তৰত দুখ উপজিল।
।াৰ গুণ বৰ্ণাই এইদৰে বিলাপ কৰিবলৈ ধৰিলে—

"মোক যদি দেখয় নযোনে থাকিবাৰ।
কদাচিতো প্ৰাণেশ্বৰী সুভুঞ্জে আহাৰ॥
মই স্নান নকৰিলে নোধোৱয় গাৱ।
মই যেত থাকো প্ৰিয়া থাকে সেহি ঠাৱ॥
মোৰ ৰঙ্গ দেখি স্ত্ৰী হোৱে পতিব্ৰতা।
যদি দুখ দেখে মোৰ হোৱয় দুখীতা॥

* * *

মোৰ ক্ষুধা তৃষ্ণাক জানয় সৰ্ব্বক্ষণ।
যিটো বাঞ্ছা কৰে'। দিয়ে মোৰ পুৰি মন॥
মোৰ ক্ৰোধ দেখিলে নেদয় প্ৰত্যুত্তৰ।
সঙ্কুচিত মনে থাকে দাসী সমসৰ॥

* * *

যাৰ মাতৃ গৃহত নভৈল কদাচিত।
ভাৰ্য্যায় অপ্ৰিয় বাক্য বোলয় সতত॥
অৰণ্য গমন তাৰ কৰিতে নালাগে।
গৃহ মহাৰণ্য বুলি জানা মহাভাগে॥ ইত্যাদি

দৈৱাৎ ব্যাধে পিঁজৰাত বান্ধি থোৱা কপোতীজনীয়েই আছিল চিত্ৰ-গ্ৰীৱৰ পত্নী। কপোতিনীয়ে গছৰ ডালত বিলাপ কৰি থকা স্বামীৰ সকলো কথা কাণপাতি শুনি আছিল। কথাবোৰ শুনি তাইৰ সঁচাকৈয়ে আনন্দত অন্তৰ পুলকিত হ'ল। তাই ভাবিলে—মই বৰ ভাগ্যৱতী—কিয়নো মোৰ স্বামীয়ে আজি মোৰ ইমানবোৰ প্ৰশংসা গাইছে। স্বামীতকৈ বিবাহিতা তিৰোতাৰ ডাঙৰ দেৱতা আৰু কোনো নাই।

"স্বামীত কৰিয়া স্ত্ৰীৰ নাহি দেৱ আন।
জানা নিষ্ট কৰি আৰ অগনি প্ৰমাণ॥"—ইয়াকে ভাবি তা

পিঁজৰাৰপৰাই কৈ উঠিল—

"শুনিয়োক স্বামী তুমি নকৰিবা শোক।
পিঞ্জৰে বান্ধিয়া ব্যাধে থাপি থৈছে মোক।"

তুমি মোৰ কাৰণে সন্তাপ এৰা ; পৰলোকৰ বাবে পুণ্য আৰ্জি লোৱা ৷ মোক বন্দী কৰি নিষ্ঠুৰ ব্যাধ আজি আমাৰ দুৱাৰত অভ্যাগত। জাৰে-ভোকে তেওঁৰ প্ৰাণ যায়। গতিকে শৰণাগতক ৰক্ষা কৰি তুমি পুণ্য সঞ্চয় কৰা। মোৰ বাবে চিন্তা এৰা। তোমাৰ দেহা থাকিলে মোৰ দৰে ভাৰ্য্যা তোমাৰ আকৌ হব; অতিথিসেৱাৰ এনে সুযোগ কিন্তু নিমিলিবও পাৰে।”

কথা শুনি চিত্ৰগ্ৰীৱৰ চকুৰপৰা গিৰ্ গিৰকৈ চকুপানী পৰিবলৈ ধৰিলে। তথাপি সি নিজৰ কৰ্ত্তব্য স্থিৰ কৰি গছৰ ডালৰপৰা নামি আহিল আৰু কাতৰভাৱে ব্যাধক কলেহি, “ভাণ্ডৰীয়া, আপুনি ক'ৰপৰা আহি এই ঘোৰ অৰণ্যৰ মাজত ক্ষুদ্ৰ বাহৰ ওচৰত আমাৰ আলহী হ'লহি? আপোনাৰ এনে আগমনৰ উদ্দেশ্য কি আৰু আমিয়ে বা আমাৰ ক্ষুদ্ৰ শক্তিৰে আপোনাৰ কি উপকাৰ কৰিব পাৰোঁ? আপুনি কোনো প্ৰকাৰ সংশয় মনত নাৰাখি মনৰ বাঞ্ছা মোৰ আগত খুলি কওক। মই সাধ্যানু-সাৰে তাক পূৰ কৰিমেই কৰিম।”

কপোতৰ কথা শুনি ব্যাধে বিস্ময় মানিলে। সি মনতে ভাবিলে—ই কম পক্ষী নহয়। ইয়াক মোৰ মনৰ কথা কওঁৱেই চোন! জানোবা কিবা উপকাৰেই হয়। নহলেওনো সি মোৰ কি কচুপাতকেইটা ফুটাব?

এইদৰে ভাবি-গুণি ব্যাধে কলে—“হেৰা পক্ষী, জাৰে মোক হাড়লৈকে সিজাইছে ; মুখৰপৰা কথা নোলোৱাত পৰিছে। গতিকে পাৰিলে মোক জাৰ নিবাৰণৰ উপায় এটা দিয়া। তেতিয়াহে মোৰ শৰীৰলৈ প্ৰাণ আহিব ; মুখত বচন ফুটিব।”

চিত্ৰগ্ৰীৱ কপোতে তেতিয়া বাছি-বিচাৰি গছৰ শুকান ডালপাতবোৰ ঠোঁটেৰে আনি থুপুৰি কৰিলে। তাৰ পিছত সি জুই বিচাৰি উৰা মাৰিলে। উৰি উৰি ফুৰি সি গৈ অৰণ্যৰ এমূৰৰ এজোপা শুকান গছৰ ভিতৰত জুই দেখিবলৈ পালে। সি ঠোঁটেৰে ডাল এটাত জুই লগাই লৈ উৰি আহিল আৰু গছৰ শুকান ডাল-পাতবোৰত লগাই দিলেহি। খন্তেকতে দপ্, দপ্‌কৈ জুই জ্বলি উঠিল। ব্যাধে নিজৰ গা আৰু গাৰ কাপোৰ-কানিবোৰ সেকিলে আৰু স্বস্তি অনুভৱ কৰিলে।

কথাতে কয়—বোলে বহিবলৈ পালে শুবলৈ বিচাৰে। ব্যাধৰ বেলিকাও

লেছে হ'ল। সি কলে, "হে পক্ষীৰাজ, জাৰে-শীতে ঠেৰেঙা লাগি পৰি আছিলোঁ, ভালেই হৈছিল। তুমি জুইকুৰা ধৰি দি লেঠাহে লগালা। মোৰ এতিয়া ভোকত প্ৰাণ যায়। যেই সেই প্ৰকাৰে মোক খাবলৈ কিবা কিছু দিয়া। নহলে মই মৰিম।"

কপোত মহা চিন্তাত পৰিল। কাৰণ সকলো পক্ষীয়ে দিনৰ আহাৰ দিনে খায় সাঁচি নাৰাখে। ই সিহঁতৰ স্বভাৱ। এনে স্থলত সি এতিয়া অতিথি ব্যাধক কিহেৰে তোষে? অৱশেষত তাৰ মনত খেলালে—মনুষ্য জাতি পক্ষীৰ মাংসৰ কাৰণে সদায় লালায়িত। তাতে কপোত সকলোৰে খাদ্য। প্ৰতিকে নিজেই মাংস দি ব্যাধক তুষ্ট কৰা যাওক। এই ভাবি সি কলে—

"শুনিও অতিথি মোক কৰা অনুগ্ৰহ।

অতিথি পূজাৰ অৰ্থে এৰোঁ ইটো দেহ॥"—এই বুলি চিত্ৰ-গ্ৰীৱ কপোতে অগ্নিক তিনিবাৰ প্ৰদক্ষিণ কৰি ললে আৰু চাওঁতে চাওঁতে ওপৰলৈ উৰি গৈ আকাশৰপৰা ধপ্ কৰে জ্বলা জুইত পৰি গ'ল। অগ্নিয়ে কপোতৰ চিত্ৰ-বিচিত্ৰ ধুনীয়া পাখিবোৰ খন্তেকৰ ভিতৰতে পুৰি ছাই কৰি পেলালে। শৰণাগত অতিথি শত্ৰু ব্যাধৰ প্ৰাণ ৰক্ষা কৰিবলৈ গৈ কপোতে নিজৰ শৰীৰ অগ্নিত বিসৰ্জন দিলে।

বাহৰ পোৱালি তুটিয়েও পিতাকৰ আদৰ্শকে লৈ জুইত জঁাপ দি প্ৰাণ এৰিলে।

এই সকলোবোৰ দেখি ব্যাধে সপোন দেখা দিলে। এনে দুৰ্ঘোৰ শোকা-বহ ঘটনা দেখি সি খেদ কৰিবলৈ ধৰিলে—"হায়! মই আজি কি ভয়ানক অকৰ্ম কৰিলোঁ। মোৰ আশ্ৰয়-দাতাক মই নিজেই যেন অগ্নিত পুৰি মাৰিলোঁ। ইয়াতকৈ আৰু কি নিদাৰুণ পাপৰ কথা আছে? মই মানুহ হৈ আজিলৈ কোনো দিন খুদকণ এটাও খোজনীয়া-মগনীয়াক দি পোৱা নাই। এই চৰাইটোৱে আজি মোৰ বাবে নিজৰ প্ৰাণকে দিলে। হায়! মোৰ সমান আৰু কোন পাপী লোক আছে? এই চৰাইটোৱে মোক আজি এটা ডাঙৰ জ্ঞান দিলে। এনেবোৰ কাৰ্য্য দেখিও শুনিও যদি মোৰ ধৰ্মলৈ মতি নহয় তেন্তে মই মনুষ্য হৈ জন্মাই ভুল আছিল!"

এনেকৈ ভাবি ভাবি ব্যাধেও জীৱহিংসা ত্যাগ কৰিবলৈ মনস্থ কৰিলে।

পুত্ৰ-ধাৰা সকলোকে এৰি থৈ সি ধৰ্ম্ম-কাৰ্য্যত নিৰত হবলৈ স্থিৰ কৰিলে। আৰু—

"জাল যন্ত্ৰ পঞ্জৰক দূৰ কৰি থৈলা
পঞ্জৰক হন্তে কপোতীক মুক্ত কৈলা।"

কপোতীয়ে মুক্তি পালে সঁচা, কিন্তু তাই কপোত-ব্যাধৰ সমস্ত কথা দেখি আৰু শুনি আছিল। প্ৰিয় পতি কপোতৰ বাবে তাইৰ শোক উথলি উঠিল। উৰি গৈ গছৰ ডালত পৰি তাই বিনাই কবলৈ ধৰিলে—

"স্বামী বিনে স্ত্ৰীৰ আৰো বন্ধু নাহি আন।
স্বামীয়ে পৰম সখা স্বামী নিজ প্ৰাণ॥
ধন-বস্ত্ৰ ঐশ্বৰ্য্যক এৰিয়া নিশ্চয়।
কেৱল স্বামীক স্ত্ৰীয়ে কৰিব আশ্ৰয়॥
নিশ্চয়ে মোহোৰ কাৰ্য্য নাই ইহ লোকে।
এৰিবো জীৱন নাথ তোমাসাৰ শোকে॥"

এইদৰে বিলাপ কৰি থাকি কপোতীয়ে স্বামীৰ চৰণ চিন্তি জ্বলি থকা জুইত নিজেও প্ৰৱেশ কৰিলেহি।

চাই থাকোঁতেই কপোত-কপোতী সবে পুৰি ভস্ম হৈ গ'ল। অকল সেয়ে নহয়—জুইৰ মাজৰপৰা উজ্জ্বল পোহৰ এচমকা হৈ সিহঁতৰ আত্মা-বোৰো ওপৰলৈ উৰি গ'ল আৰু অন্তৰীক্ষত ৰৈ থকা সুশোভন শুক্লবৰ্ণ ৰথ এখনত উঠিলগৈ।

ব্যাধে চকুৰ আগতে এইবোৰ দেখি কিবা বাজিকৰৰ মায়াৰাজ্যত প্ৰৱেশ কৰা যেনহে পালে। সিও চিকাৰৰ অস্ত্ৰ-শস্ত্ৰ, সাজ-সজুলি সকলো এৰি থৈ বনত সোমাল : ভাত-পানীৰ পাছ এৰিলে।

এনে সময়ত সেই অৰণ্যখনত কেনেবাকৈ জুই লগাত অগ্নিয়ে থাওঁ থাওঁ মূৰ্ত্তি ধাৰণ কৰি বিয়পি আহিবলৈ ধৰিলে। ব্যাধে ভাবিলে, সিও কপোত কপোতীৰ দৰে সেই বনাগ্নিতে প্ৰাণ এৰা ভাল। সেই ভাবি গৈ ইষ্টদেৱতাক স্মৰণ কৰি সি বনাগ্নিত প্ৰৱেশ কৰিলে আৰু মুহূৰ্তৰ ভিতৰতে ছাই হৈ গ'ল। আচৰিত কথা এই যে কপোত-কপোতী আৰু ব্যাধ আটায়ে একে-খন আকাশী যানতে উঠি স্বৰ্গগামী হ'ল।

ভীষ্মই এই কাহিনীটো যুধিষ্ঠিৰক কৈ শেষত কলে—

"এতেকে শৰণাগত কৰিবা ৰক্ষণ।
অশ্বমেধ যজ্ঞ-ফল লভিবা তেখন॥"

পূজনীয়া পখীৰ উপাখ্যান

(হৰিবংশ)

অতি পুৰণি কালৰ কথা। তেতিয়া নগৰ-চহৰবোৰ হোৱা নাই। ঋষি-মুনিসকলে অৰণ্যৰ মাজত থাকি ধৰ্ম্ম চিন্তা কৰে; সুন্দৰ সুন্দৰ তপোবন পাতি লৈ, ম'ৰাচৰাই আদি পুহি মহা আনন্দত কাল কটায়। হাবিৰ জীৱ-জন্তুৰ লগত সকলো মানুহৰেই বৰ মিল, বৰ হলি-গলি। এনে আত্মীয়তা থকা কাৰণেই মানুহৰ কথা জীৱজন্তুবোৰে আৰু জীৱ-জন্তু-বোৰৰো কথা মানুহে বুজিব পাৰিছিল। পূজনীয়া পখীৰ উপাখ্যানটো সেই কালৰেই। ইয়াক পূৰ্ব্বে পিতামহ ভীষ্মই ৰাতি যুধিষ্ঠিৰৰ আগত কৈছিল।

ব্ৰহ্মদত্ত নামে এজন ৰজা আছিল। তেওঁৰ ৰাজ্যত প্ৰজা বৰ সুখত আছিল। ক'তো চোৰ-ডকাইত নাই, মাৰ-মৰক নাই। অভাৱ-অভি-যোগৰ কথা কোনেও কেন নুবুজে। সকলোৰে ভঁৰাল-ভৰা ধান, গোহালি-ভৰা গৰু-মহ, নদন-বদন শস্য। মুঠতে যেনিয়েই চোৱা যায় তেনিয়েই দেখা যায় সুখ সম্পদ আমোদ-আনন্দ ৰং-ৰহইচ। প্ৰজাৰ এনে সুখ দেখি ৰজাৰ মনত অসীম আনন্দ হৈছিল।

এইদৰে বহুত দিন গ'ল। এদিন ৰজাই গৰম কালি দুপৰীয়া ভাত-পানী খাই উঠি বিশ্ৰাম লৈছে; এনেতে তেওঁ দেখিবলৈ পালে যে তেওঁ-লোকৰ শোৱনি-ঘৰৰ চালত ধুনীয়া চৰাই এজনীয়ে বাহ সাজি থাকিবলৈ লৈছে। তাইৰ পাখি, পিঠি আৰু বুকুখন গাখীৰৰ দৰে বগা কিন্তু মূৰটো হলে জবা ফুলৰ দৰে ৰঙা। দেখিয়েই ৰজাৰ চৰাইজনীৰ প্ৰতি মৰম লাগিল। গম-গতি অলপ ভালকৈ লক্ষ্য কৰি তেওঁ বুজিব পাৰিলে যে তাই এলা-পেচা চৰাই নহয়; বহুত বাছক্-বনীয়া গুণ তাইৰ গাত আছে।

ৰজাই তাইৰ লগত কথা পাতি জানিব পাৰিলে যে তাই আগতে কোনো এক ঋষিৰ আশ্ৰমত আছিল আৰু সেইবাবেই শাস্ত্ৰসম্মতৰ কথাও বহুত জানে। ৰজা হৃষ্টমনেই তাইৰ লগত বন্ধুত্ব কৰিলে আৰু থাকিবলৈ আশ্ৰয় দি নাম থলে—পূজনীয়া।

ৰজাই আজিকালি অলপ আজৰি পালেই পূজনীয়াৰ লগত পুৰা-গধুলি শাস্ত্ৰৰ কথা আলাপ কৰে। পূজনীয়ায়ো দিনত নানা ঠাইত উৰি ফুৰি গধুলি হলে বাহলৈ আহে, আৰু ৰজাৰ আগত দিনটোত দেখা ন-ন বস্তবোৰৰ কথা কয়। এইদৰে দিনবোৰ যাবলৈ ধৰিলে। কালক্ৰমত ৰজাৰ ঘৰত এটি পুত্ৰ উপজিল। তেওঁ মন্ত্ৰীসকল আৰু পূজনীয়াৰ লগত পৰামৰ্শ কৰি গণি-পঢ়ি ল'ৰাৰ নাম থলে সৰ্ব্বসেন।

ইফালে প্ৰায় সেই একে সময়তে পূজনীয়ায়ো বাহত এটা কণী পাৰিলে। যথাসময়ত সেই কণীৰপৰা ধুনীয়া পোৱালি এটা জগিল। পুত্ৰ-লাভত ৰজাৰ যি আনন্দ, পোৱালি-লাভত পূজনীয়াৰো সেই একে আনন্দ হ'ল।

লাহে লাহে ৰজাৰ ল'ৰা আৰু চৰাইৰ পোৱালি দুয়ো ডাঙৰ হৈ আহিল। দুয়ো উমলি-জামলি ফুৰিব পৰা হ'ল। চৰাই পোৱালিটোৱে ডেওঁ দি দি উৰি ফুৰে আৰু ৰাজকুমাৰ সৰ্ব্বসেনে বচত কিৰিলি পাৰি তাৰ পাছে পাছে চোঁচৰি যায়।

পূজনীয়াই এতিয়া আগৰ দৰেই দিনত নানা দেশৰ নানা নতুন বস্তু চাই উৰি ফুৰে আৰু গধুলি হলে সাগৰৰ দাঁতিৰ গছৰপৰা দুয়োৰো কাৰণে দুটি ৰসাল ফল লৈ আহে। ফল খাবলৈ পাই সৰ্ব্বসেন আৰু চৰাই-পোৱালিৰ মন উলাহত নাচি উঠে। সাগৰৰ দাঁতিৰ মধুৰ ফলে দুয়োকো নোদোকা কৰি তুলিলে। দুয়ো সদায় একেলগে ভগাই-পিটাই খোৱা কাৰণে দুয়োৰো মিলা-প্ৰীতিও বৰ বাঢ়িল। ৰজাই সিহঁত দুয়োৰো কাৰণে এজনী বুঢ়ী ধাই নিয়োগ কৰিলে আৰু ধাইজনীয়ে সিহঁতক নিজৰ পো-জীয়াৰীৰ দৰে আদৰ আপডাল কৰিবলৈ ধৰিলে।

এইদৰে বহুত দিন গ'ল। এদিনাখনৰ কথা। ধাইজনীয়ে সেইদিনা ৰাজ-কুমাৰ আৰু চৰাই-পোৱালি দুয়োকো খেলিবলৈ এৰি দি অন্য কামত মন দি আছিল। এনে সময়ত ৰাজকুমাৰ সৰ্ব্বসেনে খেলাত আপোন-পাহৰা হৈ চৰাই-পোৱালিটোৰ টেঁটুত দুয়ো হাতেৰে চেপা মাৰি ধৰিলে। চৰাই-

পোৱালিটোৱে দুখ পাই যিমানে আতুৰতাৰে চিঁ-চিঁ-কৈ চিঞৰিছে—সৰ্বশেষে ৰত্তত সিমানে কিৰিলি পাখি তাক বেঁছি টানকৈ চেপি ধৰিছে। সেই চিঞৰ শুনি ইফালে ধাইজনীয়ে ভাবিলে—"ৰাজকুমাৰইতে আগৰ দৰেই কিবা খেলা খেলিছে।' গতিকে তায়ো ওচৰলৈ নাহিল। এনেকৈয়ে ৰাজকুমাৰ হাতত চৰাই-পোৱালিৰ প্ৰাণবায়ু উৰি গ'ল। অলপ পিছত ধাইজনীয়ে আহি ঘটনা দেখি কান্দিবলৈ ধৰিলে। খবৰ পাই ৰজাও নিজে ঘটনা-স্থললৈ ওলাই আহিল আৰু কাৰ্য্য দেখি মনত বিষম বেজাৰ পালে।

গধূলি হ'লত, আন দিনাৰ দৰে সিদিনাও পূজনীয়াই ঠোঁটত দুটা ধুনীয়া ফল লৈ ৰজাৰ নগৰ পালেহি। আন দিনা তাই বাহৰ ওচৰ নোপাওঁতেই পোৱালিৰ কিৰিলি শুনিবলৈ পায়। সেইদিনা সকলো নিস্তব্ধ দেখি তাই অলপ আচৰিত হ'ল। কিবা এক নজনা-বিপদৰ আশঙ্কাত তাইৰ বুকুখন যেন চিৰিং কৰি উঠিল। এনেতে ৰাজকুমাৰ সৰ্ব্বশেষে ঘৰৰপৰা ওলাই আহি বং মনেৰে ফল এটা ললেহি। তেতিয়াও নিজৰ পোৱালিটো নহা দেখি পূজনীয়া আৰু আচৰিত হ'ল। তাই বাহলৈ যাব খোজোঁতেই ধাইজনীয়ে মৰি থকা পোৱালিটো হাতত লৈ তাইৰ ওচৰত ওলালহি। পূজনীয়া অহা বুলি শুনি ৰজাও ওলাই আহিল, আৰু বেজাৰ মনেৰে সকলো কথা বিবৰি কলে।

খবৰটো শুনি পূজনীয়াৰ অন্তৰ ভেনেই ভাগি গ'ল। তাই সন্তানৰ শোকত কাতৰ হৈ ইনাই-বিনাই কান্দিবলৈ ধৰিলে। পূজনীয়াৰ হিয়া-ভগা করুণ বিননিত ৰাজপুৰীৰ সকলো লোকে চকু-লো টুকিলে।

পূজনীয়াই সেইদিনা সেইদৰেই বিলাপ কৰি কটালে। পিছ দিনা আকৌ ৰজা-প্ৰজা সকলোৱে মিলি পূজনীয়াক সান্ত্বনা দিবলৈ ধৰিলে। পূজনীয়াই কিছুপৰ টলক মাৰি থাকি ৰজালৈ চাই কবলৈ ধৰিলে, "মহা-ৰাজ, তুমি ধৰ্ম্মৰ কথা সকলো জানা। আশ্ৰিতৰ প্ৰতি কেনে ব্যৱহাৰ ধৰ্ম্মশাস্ত্ৰই বিধান কৰিছে তাক তুমি পঢ়িছা। ভয়াতুৰ, ভোকাতুৰ আৰু আশ্ৰিত—এই তিনিকো প্ৰাণ দি হলেও ৰক্ষা কৰিব লাগে। তাকে নক-ৰিলে পৰ-জন্মত কুম্ভীপাক নামে নৰকত নিকাৰ ভুঞ্জিব লাগে। ইয়াকে কোৱাৰ লগে লগে পূজনীয়াৰ চকু চলচলীয়া হ'ল। তাই আৰু কথা কব

নোৱাৰিলে, ৰজাও নিৰ্ব্বাক হৈ থাকিল। খন্তেকৰ কাৰণে সেই ঠাই নিস্তব্ধ হৈ পৰিল।

এনে নীৰৱতাৰ মাজত বিবেকশূন্য হৈ শোকাকুল পূজনীয়া চোঁচা মাৰি সৰ্ব্বসেনৰ ওচৰলৈ গ'ল আৰু আকাশলৈ উৰা মাৰিলে। ৰাজকুমাৰ সৰ্ব্বসেনে চিঞৰ মাৰি উঠি কান্দি-কান্দি মাটিত লুটি খাই পৰিল। কি ঘটিল কোনেও একো গমেই নাপালে; ৰাজকুমাৰৰ চকুৰপৰা বোৱানলে তেজ বৰলৈ ধৰিলে। ওচৰলৈ গৈ সকলোৱে দেখে ৰাজকুমাৰৰ দুয়োটা চকুৰ মণি পূজনীয়াই কাঢ়ি লৈ আকাশ পালেগৈ। ছবিৰ মানুহৰ দৰে সকলো থিৰ হৈ থাকিল। ৰাজবৈদ্যই আহি ততালিকে চিকিৎসা আৰম্ভ কৰিলে। তেজ ব'ল আৰু চকুৰ বিষো ক্ৰমে ক্ৰমে কমি আহিল।

ৰজাই এনেবোৰ ঘটনা চকুৰ আগতে দেখি অন্তৰত অপৰিসীম শোক পালে। তেওঁ কথমপি শোক সম্বৰণ কৰি আকাশত উৰি থকা পূজনীয়া পখীলৈ চাই কবলৈ ধৰিলে, "বান্ধৱী, তোমাৰ গাত কোনো-দোষ নাই। শোকৰ বেগত তুমি যি কৰিলা—সকলো ক্ষমাৰ যোগ্য। এই সকলোবোৰ দৈৱৰ দুৰ্ব্বিপাক। যি হব লগা আছিল হ'ল—এতিয়া আমি আকৌ আগৰ দৰে বন্ধুভাৱে থাকোঁহক আহা।"

পূজনীয়াই আকাশৰপৰাই উত্তৰ দিলে, "মহাৰাজ, পুত্ৰশোক কি তাক মই এতিয়া বঢ়িয়াকৈ বুজিছোঁ। খং-বেজাৰত জ্ঞানশূন্য হৈ তোমাৰ যি মহৎ অপকাৰ কৰিলোঁ, তাৰবাবে মই গুৰুতৰ অপৰাধত অপৰাধী। এতিয়া আকৌ মই পুনৰ তোমাৰ ঘৰত বাস কৰিবলৈ গ'লে মোৰ পক্ষে ভুল হব। তুমি জ্ঞানী ৰজা কাৰণে সকলো নীৰৱে সহি থাকিলা, ধৈৰ্য্য ধৰিব পাৰিলা। মই কিন্তু জ্ঞানহীন পখী। তুমি সু-ৰজা, মই তোমাৰ কু-মিত্ৰ। এনে অৱস্থাত দুয়ো একেলগে থকা অহিতকৰ। উশনা নামৰ ঋষি এজনে কি কৈ গৈছে শুনা—"কু-মিত্ৰ, কু-দেশ, কু-ৰজা, কু-পুত্ৰ, কু-ভাৰ্য্যা আৰু কু-বন্ধু এইবোৰ নিজৰ কল্যাণ-কামী লোকে সদায় ত্যাগ কৰা উচিত। কিয়নো কু-মিত্ৰৰ লগত আন্তৰিকতা নাথাকে; কু-দেশত পদে পদে মৃত্যু-ভয়; কু-ৰজাৰ কথা কেতিয়াও ঠিক নাথাকে; কু-বন্ধুত বিশ্বাস ৰখা টান; কু-পুত্ৰৰপৰা বংশৰ কলঙ্ক হয়; আৰু কু-ভাৰ্য্যাৰপৰা মনৰ শান্তি নোহোৱা হয়। যি লোকে অপকাৰীক বিশ্বাস কৰে সি তাৰ হাতৰ কুঠাৰ

ভবিত যাবে, নিজৰ মৃত্যু নিজে মাতে। অবিশ্বাসীক কেতিয়াও বিশ্বাস কৰিব নালাগে। সেইদৰে যেনেকৈ প্ৰথমে মৰমেৰে সাপটি লৈ আৰু উঁই-হাঁফলুৱে যেনেকৈ গাতে গা লগাই বন্ধুতা কৰি শেষত গছৰ বিনাশ সাধন কৰে, সেইদৰে বুধিয়ক শত্ৰুৰেও মিত্ৰভাৱে থাকি ছল চাই শতুৰ শালে। শত্ৰু, অগ্নি আৰু ঋণৰ অৱশেষ ৰখা কেতিয়াও উচিত নহয়। এইবোৰ কথা জ্ঞানী উশনাই বহুকাল পূৰ্ব্বেই কৈ গৈছে। আত্মৰক্ষাৰ কাৰণে এই-বোৰ মূল্যৱান কথা মানুহে পাহৰা উচিত নহয়। মই আশ্ৰমত এইবোৰ শুনিছিলোঁ। আজি তোমাৰ পুত্ৰক অন্ধ কৰি মই যি অপকাৰ কৰিলোঁ তাৰো প্ৰতিকাৰ নাই। কাজেই তোমাৰ আৰু মোৰ মাজত আৰু বন্ধুত্ব থাকিব নোৱাৰে। দুয়োৰে মঙ্গলৰ কাৰণে আমি দুয়ো দূৰত থকাই ভাল। গতিকে হে বন্ধু, বিদায়।”

ইয়াকে কৈ পূজনীয়া পখী আকাশৰ কোনোবা দিশলৈ উৰি গুচি গ'ল।

স্যমন্তক মণিৰ কথা

(হৰিবংশ)

তাহানি সত্ৰাজিত নামে এজন ৰজা আছিল। তেওঁৰ ভায়েকৰ নাম আছিল প্ৰসেন। দুয়োৰো ভিতৰত ভ্ৰাতৃ-স্নেহ বৰ প্ৰবল আছিল। সকলো কামতেই এজনে আনজনৰ কথা নভবাকৈ থাকিব নোৱাৰিছিল। থাবলৈ এটি সামান্য বস্তু পালেও ইজনে সিজনলৈ ভাবে, ভাল সাজ-পাৰ পালে এজনে আনজনলৈ থৈ দিয়ে। এইদৰে বহুত দিন গ'ল।

ৰজা সত্ৰাজিত বৰ ঈশ্বৰপৰায়ণ আছিল। নিতৌ তেওঁ যোক-মো-কালিতে উঠি সাগৰত স্নান কৰি সূৰ্য্য-স্তৱ পাঠ কৰে। বাৰিষাৰ বতাহ-বৰষুণ নাইবা শীতৰ পুহ-মহীয়া জাৰতো তেওঁ সেই কাম নেৰে। ভুল-

ক্ৰমেও তাৰ ব্যতিক্ৰম নহয়। সত্ৰাজিতৰ এনে ভক্তিত সূৰ্য্য-দেৱতাও তুষ্ট হ'ল। এদিন স্তুতি-আৰাধনাৰ অন্তত সত্ৰাজিতে ইষ্টদেৱতা প্ৰভু দিনমণিক তেওঁৰ সন্মুখতে দেখিবলৈ পালে। তেওঁ দণ্ডৱতে প্ৰণাম জনালত ভগৱান দিবাকৰে তেওঁক নিজ হাতেৰে এটি বহুমূলীয়া মণি উপহাৰ দিলে আৰু নীৰৱে আকাশলৈ গুচি গ'ল। এই মণিটোৰ নাম আছিল স্যমন্তক মণি। কোনো কোনোৱে কয় যে সত্ৰাজিতে ৰাতিপুৱা উজ্জ্বল সূৰ্য্য-কিৰণত চিক্‌মিকাই থকা এই ধুনীয়া মণিটো সাগৰৰ বালিত হেৰা পাইছিল। সি যিয়েই নহওক, এই মণি লাভ কৰিবৰে পৰা কিন্তু সত্ৰাজিতৰ ৰাজ্যৰপৰা মাৰি-মৰক, অপায়-অমঙ্গল, দুঃখ-দুৰ্গতি সকলো দূৰ হ'ল। প্ৰজাৰ উলাহ-আনন্দ দেখি দুয়ো ভাইৰ আনন্দ উপচি পৰিল।

এদিন সত্ৰাজিতে মৰমতে সেই মণিটো ভায়েক প্ৰসেনৰ ডিঙিত পিন্ধাই দিলে। মণিৰ পোহৰত ওচৰৰ সকলো বস্তু চিক্‌মিকাই উঠিল। মণি ডিঙিত পিন্ধি প্ৰসেন এতিয়া যিফালেই যায় সেইফালেই মানুহে ৰ-লাগি চাই থাকে। ককায়েক সত্ৰাজিতৰ এনে মৰম দেখি প্ৰসেনৰ অন্তৰ কৃতজ্ঞতাত আকুল হৈ পৰিল। ৰাজ্যৰ প্ৰজাসকলেও দুই ভায়েকৰ এনে অপাৰ্থিৱ মিলা-প্ৰীতি দেখি তবধ মানিলে।

লাহে লাহে স্যমন্তক মণিৰ কথা দেশে দেশত বিয়পি পৰিল। দূৰ দেশৰপৰাও মণিৰ ৰূপ চাবলৈ মানুহ আহি ৰাজ্যত দল্‌দোপ-হেন্দোল্‌দোপ লগাবলৈ ধৰিলে। অৱশেষত ইয়াৰ ৰূপ-গুণৰ কথা ইকাণ-সিকাণকৈ গৈ দ্বাৰকাৰ দৈৱকীনন্দন শ্ৰীকৃষ্ণৰ কাণতো পৰিল। মণিৰ মহিমা শুনি তেওঁৰো তাক পাবলৈ লোভ লাগিল। কিন্তু পায় কেনেকৈ? কাঢ়ি আনিবলৈ গ'লে যে মানুহে তেওঁক দিন-ডকাইত বুলি নিন্দা কৰিব!

পিছে, এদিন এই মণি পিন্ধি প্ৰসেন হাবিলৈ চিকাৰ কৰিবলৈ গ'ল। অৰণ্যৰ মাজেদি প্ৰসেন যিপিনেই যায় বনৰীয়া জন্তুবোৰেও সেই পিনেই মণিৰ ৰশ্মিত মুগ্ধ হৈ চাই থাকে আৰু প্ৰসেনে সেই ছেগতে তাক অস্ত্ৰেৰে বধ কৰে। এইদৰে হাবিত তেওঁ বহুত বন্যজন্তু বধ কৰিলে।

অৱশেষত মণিৰ ৰশ্মি গৈ এটা প্ৰকাণ্ড সিংহৰ চকুত পৰিল। কোনোবা শত্ৰুৱে আক্ৰমণ কৰিবলৈ অহা বুলি সি আত্মৰক্ষাৰ কাৰণে সাজু হ'ল, আৰু পোনেই চকুৰ পচাৰতে প্ৰসেনক আক্ৰমণ কৰিলেহি। দুয়োৰো মাজত

এখন ভয়ানক ৰণ লাগিল; হাবি-বন ভাগি মৰিমূৰ হ'ল। চৰাই-চিৰিকটি উৰি পলাবলৈ ধৰিলে। অন্তত সিংহই প্ৰসেনক বধ কৰিলে আৰু স্যমন্তক মণি মুখত লৈ অন্য এখন হাবিত সোমালগৈ।

সেই হাবিখনত অসংখ্য ভালুক আছিল। জাম্বৱন্ত নামৰ ভালুক এটা সিহঁতৰ ৰজা। জাম্বৱন্ত ইমান পৰাক্ৰমী আছিল যে ওচৰৰ ৰজাবিলাকেও যুঁজত হাৰ মানি তেওঁৰ লগত মিতিৰ পাতিছিল।

মানুহৰ সংস্পৰ্শত আহি জাম্বৱন্তই মানুহৰ দৰে থাকিবলৈ শিকিছিল। পৰ্ব্বতৰ প্ৰকাণ্ড গুহা এটাত তেওঁৰ নগৰ। তেওঁ তাত সুন্দৰ সুন্দৰ ঘৰ সজাই-লৈ মনৰ আনন্দেৰে বাস কৰে। ভয়তে ওচৰৰ ৰজাবোৰেও তেওঁৰ আমোদ-প্ৰমোদৰ যোগান ধৰে। তেওঁৰ ৰাজ-হাউলি গুহাৰ ভিতৰতেই এখন আটোমটোকাৰি সুকীয়া নগৰ হৈ উঠিছিল। তাতোকৈ আচৰিত কথা এই যে তেওঁ ভুৱনমোহিনী ৰাজ-কন্যাও বিয়া কৰাইছিল আৰু সকলো মিতিৰ-কুটুমৰ লগত সাধুভাৱে আচৰণ কৰিছিল।

পিছে, সিংহই স্যমন্তক মণি মুখত লৈ জাম্বৱন্তৰ ৰাজ্যত প্ৰৱেশ কৰা মাত্ৰকে পালী-পহৰীয়াবিলাকে ৰজাক সম্বেদ দিলেগৈ। ৰজা জাম্বৱন্তয়ো আগতে স্যমন্তক মণিৰ কথা অহকাণে-পহুকাণে শুনি আছিল। সেইখাৰে তেওঁ ভেনে এটা মণিলৈ-অহা সিংহৰ খবৰ পাই তাক চাবলৈ ততালিকে বাহিৰ হৈ আহিল। আহি দেখে যে কথা সঁচা। ভাবিলে—'ই কথাই কথা নহয়, লাগিবহে লাগিল।' এই বুলি তেওঁ সিংহক আক্ৰমণ কৰিলে। দুয়োৰো মাজত এখন খৈয়া-নখৈয়া ৰণ লাগিল। সিংহও নাহাৰে, জাম্বৱন্তও নিজিকে। বনৰ জীৱ-জন্তু আৰু ওচৰৰ মানুহে দূৰত থিয় হৈ ৰণ চাবলৈ ধৰিলে। অৱশেষত ছল চাই জাম্বৱন্তই এবাৰ সিংহক একেভাৱে মাৰ শোধালে যে সি সেই মাৰতে মৰি থাকিল। জাম্বৱন্তই স্যমন্তক মণি কাঢ়ি লৈ নিজৰ পো-পৰিয়ালৰ মাজত দিলেগৈ। ৰজাৰ পাটমাইৰেও দিনদিয়েক মণিটো নিজৰ হাতত ৰাখি শেষত কেঁচুৱা ওৰলাবলৈ উলিয়াই দিলে। হায়! যি স্যমন্তক মণিয়ে এদিন ৰজাৰ ডিঙিৰ শোভা বঢ়াইছিল আজি সি হ'ল ভালুকৰ পোৱালিৰ ওমলা বস্তু! ইয়াকে কয় বোলে—'কালকো কাল বিপৰীত কাল; হৰিণে চেলেকে বাঘৰ গাল!'

এইদৰে বহুত দিন গ'ল। ইফালে প্ৰসেন উভতি নোযোৱা দেখি সত্ৰাজিতৰ চিন্তা হ'ল। তেওঁ প্ৰসেনক বিচাৰি দেশ-বিদেশলৈ মানুহ পঠিয়ালে। হাবি-জঙ্গলবোৰতো পাত-পাত কৰি বিচাৰিলে; কিন্তু ক'তো একো খোজ-খবৰ পোৱা নগ'ল। মানুহে শেষত ঠিৰাং কৰিলে যে চিকাৰ কৰিবলৈ যাওঁতে অৰণ্যত কোনো জন্তুৰ হাততহেই প্ৰসেন মৰা পৰিল। ৰজা শোকত বৰ আতুৰ হ'ল।

ইকাণ-সিকাণকৈ এই বাতৰি লাহে লাহে দ্বাৰকা পালেগৈ। দ্বাৰকাৰ মানুহবোৰে ফুচ-ফুচাই কোৱা-কুই কৰিলে—"বোলে এই কাৰ্য্য আৰু কাৰ হব, আমাৰ যদুমণি কৃষ্ণৰেই। তেওঁহে স্যমন্তক মণি পাবলৈ হেপাহ কৰিছিল। তেৱেঁই নিশ্চয় প্ৰসেনক মাৰি মণি আনি ক'ৰবাত লুকাই থৈছে।" অপবাদৰ এনে ফুচ-ফুচনি গৈ কৃষ্ণৰ কাণতো পৰিল। তেওঁ লাজ পালে। ভাবিলে—'অপবাদতকৈ মৃত্যুও ভাল! এই অপবাদ দূৰ নকৰিলে নহয়।' এই ভাবি তেওঁ হেৰোৱা মণিৰ ৰহস্য বিচাৰি ঘৰৰ-পৰা বাহিৰ হ'ল। লগতে ললে তেওঁৰ লগৰীয়া যদুবীৰসকল।

লগেলগে কৃষ্ণ গৈ হাবিত প্ৰৱেশ কৰিলে। এখন হাবিৰ পিছত আন এখনত বিচাৰিলে, প্ৰসেন আৰু স্যমন্তক মণিৰ তথাপি কোনো ভূং-সূত্ৰ নাই। এইদৰে বহুত হাবি চলাথ কৰিলে। গৈ গৈ অৱশেষত চিকাৰীৰ নিয়া ঘোঁৰাটোৰে সৈতে প্ৰসেনক এখন অৰণ্যত মৰি পৰি থকা দেখা পালে। ওচৰৰ মাটিত পৰি আছিল সিংহৰ প্ৰকাণ্ড প্ৰকাণ্ড খোজ। তেতিয়া ঘটনা বুজিবলৈ কৃষ্ণৰ আৰু একো বাকী নাথাকিল। তেওঁ সিংহৰ খোজ অনুসৰণ কৰি যাবলৈ ধৰিলে। যদুবীৰ সকলো পাছে পাছে গ'ল।

কেইবা দিনৰ পাছত কৃষ্ণই জাম্বৱন্তৰ ৰাজ্যত প্ৰৱেশ কৰিলেগৈ। তাতে তেওঁ দেখে যে এটা প্ৰকাণ্ড গুহাৰ ওচৰত সিংহ মৰি পৰি আছে। গুহাৰ ভিতৰলৈ এটা সুন্দৰ বাট গৈছে। তেওঁ যদুবীৰসকলক গুহাৰ মুখত থৈ নিজে ভিতৰলৈ সোমাই গ'ল।

সেইখন জাম্বৱন্তৰ নগৰ বুলি তেওঁ বুজিব পাৰিলে। সুন্দৰ অট্টালিকা, ফুল-ফুলনি আদি দেখি তেওঁ অবাক হ'ল। অলপ ভিতৰলৈ গৈ তেওঁ দেখিলে এজনী ধায়ে ৰাজকুমাৰক [illegible] [illegible] [illegible] [illegible] [illegible] লাগিছে। মাত্ৰ মণি, [illegible] [illegible] [illegible]

গ'ল। ধায়ে গোৱা গীতটো তেওঁ কাণ পাতি শুনিলে। ধায়ে গাইছে—

"অৰে বাছাধন নাকান্দিবি তই।
ছিৰিমন্ত মণি আনি দিছোঁ মই॥
ছিৰিমন্ত মণিক প্ৰসেনে পিন্ধিলা।
প্ৰসেনক মাৰি তাক সিংহই আনিলা॥
বলৱন্ত পিতা তোৰ জাম্বৱন্ত বীৰ।
এক্কে কোবে কেশৰীৰো ছিণ্ডি দিলা শিৰ॥
নাকান্দিবি বাছাধন নাকান্দিবি তই।
সেই মণি তোৰ হাতত আনি দিছোঁ মই।"

বেলিৰ পোহৰে পুৱাৰ কুঁৱলী দূৰ কৰাৰ দৰে গীতৰ কথাই কৃষ্ণৰ মনৰ সন্দেহ দূৰ কৰিলে। তেওঁ সকলো ঘটনা তেতিয়া ভালকৈ বুজি পালে। এনেতে ধাই আৰু কেঁচুৱা দুয়ো হঠাৎ কৃষ্ণক দেখি ভয়ত চিঞৰি উঠিল। সেই চিঞৰ-বাখৰ শুনি ৰজা জাম্বৱন্ত ভিতৰৰপৰা ওলাই আহিল আৰু কৃষ্ণক দেখিলে। বিনা অনুমতিত চোৰৰ দৰে তেনেকৈ গৈ ৰজাৰ নগৰত সোমোৱা কাৰণে জাম্বৱন্তই কৃষ্ণক অলপ লপা-থপা শোধাবলৈ আগবাঢ়িল। কৃষ্ণও কিন্তু কম নহয়; তেৰেঁা ফেৰ পাতি উঠিল। "উঃ, উভতি চোৰে গিৰীকহে বান্ধে দেখোন"—বুলি জাম্বৱন্তই তেতিয়া কৃষ্ণক ভালকৈয়ে আক্ৰমণ কৰিলে। দুয়োৰো মাজত তুমুল সংগ্ৰাম আৰম্ভ হ'ল। যুঁজত ঘৰ-দুৱাৰ ভাগি যাবলৈ ধৰিলে। ফুলনি-শাকনি থাতাং হ'ল। দশো দিশ ধুঁৱলি-কুঁৱলী হৈ পৰিল। এদিন নহয়, দুদিন নহয়, একৈশ দিন এইদৰে যুদ্ধ চলিল। তথাপি কাৰো জয়-পৰাজয় নহ'ল।

ইফালে গুহাৰ মুখত ৰৈ থকা যদু-সৈন্যবোৰে কৃষ্ণক উভতি নোযোৱা দেখি ২।৩ দিন বাট চাই ভিতৰত কৃষ্ণ মৰিল বুলি ভাবি কান্দি-কাটি দ্বাৰকালৈ উভতি গ'ল। দ্বাৰকাবাসীসকলেও এনে দুৰ্ঘটনাৰ বাতৰি পাই শোকত বিহ্বল হৈ যথাৰীতি কৃষ্ণৰ প্ৰেতকাৰ্য্য সমাধা কৰিলে।

একৈশ দিনীয়া যুদ্ধৰ অন্তত ভল্লুকৰাজ জাম্বৱন্তই বুজিব পাৰিলে যে কৃষ্ণ সাধাৰণ যুঁজাৰু নহয়। তেওঁক পৰাজয় কৰা অসম্ভৱ। সেই ভাবি তেওঁ নিজেই পৰাজয় স্বীকাৰ কৰি কৃষ্ণৰ লগত সন্ধি কৰিলে আৰু কৃষ্ণক বিজয় বৰটৈ ৰখাবি আনন্দমনেৰে নিজ-কন্যা জাম্ববতীক তেওঁৰ বিয়া

দিলে। জাম্বৱন্তই সেই বিয়াত অলেখ ধন-সম্পত্তি দাস-দাসী দিয়াৰ উপৰিও মহামূল্য স্যমন্তক মণি যৌতুকৰূপে কৃষ্ণক উপহাৰ দিলে। তেতিয়াৰে পৰা ঋক্ষৰাজ জাম্বৱন্ত শ্ৰীকৃষ্ণৰ আজীৱন মিত্ৰ হ'ল।

স্যমন্তক মণি আৰু জাম্বৱতীক লগত লৈ দাস-দাসীবোৰৰে সতে কৃষ্ণ দ্বাৰকালৈ উভতিল। বাটত আহোঁতে ৰজা সত্ৰাজিতৰ কথা তেওঁৰ মনত পৰিল। তেওঁ ভাবিলে, সত্ৰাজিতেও নিশ্চয় আন আন বহুত মানুহৰ দৰে ধৰি লৈছে যে প্ৰসেনক মাৰি তেৱেঁই স্যমন্তক মণি হৰণ কৰিছে। সেই অপবাদ দূৰ কৰিবলৈ তেওঁ বাহিৰে বাহিৰে সত্ৰাজিতৰ ৰাজ্যলৈ গ'ল।

সত্ৰাজিতে কৃষ্ণক বৰ আদৰ-সাদৰ কৰিলে। কৃষ্ণ, সহচৰী জাম্বৱতী আৰু অনুচৰ দাস-দাসীবোৰেও সত্ৰাজিতৰ আদৰ অভ্যৰ্থনাত পৰম তৃপ্তি লভিলে। তেতিয়া কৃষ্ণৰ মুখে স্যমন্তক মণিৰ সকলো বৃত্তান্ত শুনি সত্ৰাজিতৰ মনৰ সন্দেহ দূৰ হ'ল। তেওঁ কৃষ্ণৰ বিক্ৰম আৰু সৰলতাত ইমান মুগ্ধ হ'ল যে তেওঁৰ নিজকন্যা সত্যভামাকো কৃষ্ণলৈ বিয়া দিবলৈ প্ৰস্তাৱ কৰিলে। কৃষ্ণয়ো সেই প্ৰস্তাৱ গ্ৰহণ কৰি জাম্বৱতীৰ অনুমতিক্ৰমে সত্যভামাক বিয়া কৰালে। এইদৰে সত্ৰাজিতৰ লগতো কৃষ্ণৰ মিত্ৰতা হ'ল। তেতিয়া কৃষ্ণই স্যমন্তক মণি ডিঙিত পিন্ধি দুয়োকাষে জাম্বৱতী আৰু সত্যভামা দুয়োকো লৈ দ্বাৰকাত প্ৰৱেশ কৰিলেগৈ।

দ্বাৰকা নগৰত পুনৰ আনন্দৰ ঢৌ বাগৰি গ'ল। কৃষ্ণক এইদৰে পাই দ্বাৰকাবাসীসকলে খন্তেকৰ কাৰণে হাতত স্বৰ্গ চুকি পালে। পদুলিয়ে-পদুলিয়ে বলপুল পুতি চাকি লগাই সকলোৱে কৃষ্ণক সম্ভাষণ জনালে। স্যমন্তক মণিৰ পোহৰে সমগ্ৰ দ্বাৰকা উজ্জ্বল কৰি তুলিলে।

— — —

ভাগৱত পুথি কেনেকৈ হ'ল ?

(ভাগৱত)

দেৱৰ্ষি নাৰদৰ নাম আমি সকলোৱে শুনিছোঁহক। বুঢ়া লোকে কয় তেওঁ হেনো তাহানি ঢেঁকীত উঠি স্বৰগ-মৰত সকলো ঠাইতে ঘূৰি ফুৰিছিল। যেয়ে বিপদত পৰি নাৰদক মাতে, তাৰে ওচৰত তেওঁ গৈ উপস্থিত হয়। দিন নাই, ৰাতি নাই, আহাৰ নাই, পানী নাই, কেৱল আনৰ হিতৰ কাৰণে অহৰহ ঘূৰি ফুৰে। কেতিয়াবা কেতিয়াবা আকৌ খুচি গ'লে তেওঁ নপতা কটকটো হৈ অ'ৰ খবৰটিও ত'ত দিয়েগৈ। এনেকৈ বাতৰি বিলোৱাত তেওঁৰ বৰ খ্যাতি, বৰ নাম।

তেতিয়াৰ দিনত চিঠি-পত্ৰৰ সিমান চলকৰ নাছিল, মানুহে আৰ মুখে তাৰ মুখেই বাতৰি পঠাইছিল। নাৰদে এনেকৈ অ'ৰ খবৰ ত'ত দিওঁতে মাজে-সময়ে যে খবৰত যোগ-বিয়োগ নকৰিছিল—সেইটো কোৱা টান, কাৰণ হাজাৰে হওক তেওঁ আছিল বুঢ়া ঋষি। কথা পাহৰা একো আচৰিত নহয়। এনে কাৰণতেই নেকি লোকে গাঁৱে-ভূঁয়ে আজিও নাৰদক টুটকীয়া বুলিয়ে ভাবে, আৰু অ'ৰ কথা ত'ত লগোৱা মানুহক নাৰদীয়া বুলি গালি পাৰে। দৰাচলতে হলে নাৰদ কু-মতলবী বা টুটকীয়া নাছিল।

আজিকালিও আমাৰ সমাজত বিয়াৰ সময়ত কোনো কোনোৱে ঢেঁকী বান্ধি থয়। কাৰণ ঢেঁকী নাৰদৰ বাহন আৰু তাক বান্ধি নথলে হেনো বিয়াত নাৰদ নামে আৰু কাজিয়া লগায়। নাৰদ ঢেঁকীত উঠি ফুৰিছিল—সেইটো জানো বিশ্বাসৰ যোগ্য কথা? ঢেঁকীনো বাৰু উৰিব কেনেকৈ? হব পাৰে ঢেঁকীৰ আকৃতিৰ কিবা একপ্ৰকাৰ উৰি-ফুৰা বাহনত নাৰদ ফুৰিছিল; আৰু তাকেই সাধাৰণ মানুহে পাই ঢেঁকী নাম দি থলে। আজিকালিৰ এৰোপ্লেন বা আকাশী জাহাজো জানো দেখাত ঢেঁকী এটাৰ নিচিনা নেদেখি?

পিছে নাৰদ আছিল সঁচাকৈয়ে এজন সৰ্ব্বজ্ঞ ঋষি। অতীত, বৰ্ত্তমান ভৱিষ্যৎ—সকলো তেওঁ জানিছিল, আৰু সেই বাবে তেওঁক বোলা হৈছিল ত্ৰিকালজ্ঞ দেৱৰ্ষি। হৰিনাম তেওঁৰ মুখৰপৰা অনবৰত স্ফুৰিছিল। হাতত এখন দিব্য-বীণা, তাতো টুংটুংকৈ বাজি আছিল হৰিনামৰ অমৃতময় সঙ্গীত। যোগত তেওঁ এনে সিদ্ধি লাভ কৰিছিল যে তাৰ বলতেই নোখোৱা-নোবোৱাকৈ অনেক দিনলৈ থাকিব পাৰিছিল।

আগতে কৈ অহা হৈছে যে সেই কালত যেতিয়াই কোনো লোকে কোনো কথাৰ আউল ভাঙিব নোৱাৰি চিন্তাত পৰে তেতিয়াই নাৰদক সোঁৱৰণ কৰিছিল। স্মৰণ কৰা মাত্ৰকেই নাৰদেও গৈ তৎক্ষণাৎ সকলোৰে সন্দেহ দূৰ কৰিব পাৰিছিল। বিপদ-ভঞ্জন কৃষ্ণৰ দৰে তেওঁ হৈ পৰিছিল সকলোৰে সন্দেহ-ভঞ্জন নাৰদ। যোগৰ বলতেই কোনে ক'ত কিয় মাতে সেই কথাও তেওঁ জানিব পাৰিছিল।

পিছে, তাহানি ব্যাসদেৱৰ কিবা এটা মহা সমস্যাত পৰিল। তেওঁ চাৰি বেদ ৰচিলে; অষ্টাদশ পুৰাণ লিখিলে; মহাভাৰতৰ দৰে বৃহৎ পুথিও শেষ কৰি উলিয়ালে। তথাপি তেওঁৰ মনত সুখ নাই। তেওঁৰ অন্তৰত যেন কিবা আসোঁৱাহ এফেৰি ৰৈ গ'ল। কিবাই যেন তেওঁৰ মনলৈ শান্তি আহিব দিয়া নাই। তেওঁ ভাবি ভাবি তাৰ হেতু ঠিৰাং কৰিব নোৱাৰিলে। নোৱাৰি নাৰদক সোঁৱৰণ কৰিলে। মতা মাত্ৰেই হাতত বীণখনি লৈ নাৰদো ওলালহি। তেওঁ নাৰদক পাদ্য-অৰ্ঘ্যে পূজা কৰি অন্তৰৰ অহেতুকী বেদনাৰ কথা বিবৰি কলে।

মনৰ ব্যাধি চিকিৎসা কৰাত নাৰদৰ দৰে বেজ সেই সময়ত দ্বিতীয় এজন নাছিল। নাৰদে কথা শুনি অলপ পৰ টলকা মাৰি থাকি বেদ-ব্যাসৰ মনৰ বেমাৰ তৎক্ষণাৎ চিনি উলিয়ালে, আৰু কলে, "ৰোগ ধৰা পৰিছে। তুমি চিন্তা নকৰিবা। মাত্ৰ মই কোৱা মতে কাম কৰা।"—এইবুলি তেওঁ তেওঁক কবলৈ ধৰিলে, মহাভাৰত মানুহৰ কাৰণে বিধানবোৰ, শাস্ত্ৰ লিখিলা। ধৰ্ম্ম ভাঙি কাম কৰা। আৰু কামেই বুজিলা। পিছে, এই সকলোবোৰতে তুমি, ধৰ্ম-অৰ্থ, কৰ্ত্তব্য-অকৰ্ত্তব্য, বুদ্ধি-যুক্তি আদিবোৰহে দেখুৱালা। নিৰ্ম্মল ভক্তি-ৰসৰ কথা [illegible] বৰ্ণনা নকৰিলা। সেই কাৰণেই তোমাৰ অন্তৰত এনে অশান্তি [illegible] হৰিৰ কীৰ্ত্তন কৰি [illegible] [illegible]

শাস্ত্ৰ লিখিলে তোমাৰ মনৰ দুখ-বেজাৰ সকলো দূৰ হ'ব। জগতৰ আধাৰ স্বৰূপ পৰমেশ্বৰ বিষ্ণুৰ মহিমা প্ৰচাৰ কৰিলে অন্তৰত কেতিয়াও দুখ-বেজাৰ একো থাকিব নোৱাৰে। মোৰ নিজৰ জীৱনৰে এটি ঘটনা কওঁ শুনা" —এইবুলি নাৰদে কবলৈ ধৰিলে—

পূৰ্ব্ব-জন্মত মই এগৰাকী দাসীৰ সন্তান আছিলোঁ। মোৰ আয়ে তেতিয়া এজন বামুণৰ ঘৰত দাসীৰ কাম কৰে। মোৰ বয়স যেতিয়া পাঁচ বছৰ তেতিয়া এদিনাখন ভৰ বাৰিষা চাৰিজনা বৈষ্ণৱ সন্ন্যাসী আহি বামুণৰ ঘৰত আলহী চাপিল। বামুণে অতিথি সৎকাৰৰ ভাৰ আমাৰ আইৰ ওপৰত দিলে। আই আৰু মই—আমি দুয়ো সেই সন্ন্যাসী কেইজনৰ নিতৌ আল-পৈচান ধৰিবলৈ ধৰিলোঁ। দুপৰীয়া-গধূলি আমি তেওঁলোকৰ বোৱা-বোৱা খাওঁ। পুৱা, দুপৰীয়া আৰু গধূলি—তিনিও সন্ধ্যাতে হৰিনাম শুনি হৰিষত কাল কটাওঁ। এইদৰে হৰিনামত আমাৰ মন দ-কৈ বহিল।

বহুত দিন থকাৰ পাছত এদিন সন্ন্যাসী চাৰিজন বামুণৰ ঘৰৰপৰা গুচি যাবলৈ ওলাল। আমাৰ মন তেতিয়া বিষাদে তেনেই ছাটি পেলালে। নিৰাশ্ৰয়ৰ দৰে মই উচুপি কান্দিবলৈ ধৰিলোঁ। তাতে হৰপায় মোৰ প্ৰতি তেওঁলোকৰ দয়া উপজিল। তেওঁলোকে মোক সাৱটি ধৰি কোলাত তুলি ললে আৰু হৰিনাম আৰাধনাৰ বহুত গুপুত বিধি শিকালে। এইদৰে বৰাই-বুজাই আমাক সান্তনা দি তেওঁলোক গুচি গ'ল। আমি তেওঁলোকে শিকাই যোৱা হৰিনামকে গাই আনন্দত কাল কটাবলৈ ধৰিলোঁ।

কিছুদিন পিছৰ কথা। এদিন গধূলি পৰত মোৰ আই গাই খীৰাবলৈ গোহালীলৈ গ'ল। সদায়ে তেওঁ পুৱা-গধূলি বামুণৰ গাই খীৰাই দিয়ে। মই তেতিয়া বামুণৰ ল'ৰা-ছোৱালীৰ লগত চোতালত নাচি-বাগি কিৰিলি পাৰি আছিলোঁ। এনেতে মই গোহালিঘৰত আয়ে চিঞৰি উঠা যেন শুনিলোঁ। অলপকৈ কাণ উনাই শুনিলো আয়ে কান্দি কান্দি কৈছে—"বাছা, মই মৰিলোঁ। তই নাকান্দিবি।" ওচৰলৈ গৈ দেখোঁ যে আইক কিবা বিষাক্ত সাপে কামুৰিছে। বিষত মুহূৰ্তৰ ভিতৰতে আইৰ প্ৰাণ-বায়ু উৰি গ'ল। মই চাৰিওফালে শূন্য দেখিবলৈ ধৰিলোঁ। শোকত পাবোৱালে কান্দিলোঁ। কিন্তু কান্দিলে কি হ'ব? আইকতো আৰু পাওঁ নাপাওঁ।

তেতিয়া হৰিনাম গাই আইৰ শোক পাহৰিবলৈ যত্ন কৰিলোঁ। সঁচাকৈয়ে

মাধৱৰ নামে মোৰ অন্তৰৰ দুখ-শোক যেন ধুই নিলে। হিয়াৰ গধুৰতা কিছু পাতলিল।

আই ঢুকালত মোৰ আপোন বুলিবলৈ কেও নাইকিয়া হ'ল। মন তেনেই উদাস লাগিল। খোৱা-বোৱা, ৰং-তামাচা আদি একো ভাল নলগা হ'ল। তেনে অৱস্থাত কেতিয়াবা মই হৰিনাম গাই গোটেই নিশা উজাগৰে কটাই দিওঁ, কেতিয়াবা গছৰ তলতে বহি হৰিনাম গাই সংসাৰ গোটেইখন পাহৰি যাওঁ।

তেতিয়া দয়া কৰি বামুণে মোক মাতি আনেগৈ।

এইদৰে হৰিনাম গাই গ'ই এদিন বাতিপুৱা মই বামুণৰ ঘৰ এৰি হাবিৰ ফালে খোজ ললোঁ। কিয় গ'লো—মই নিজেই নাজানো। ঘৰৰ কোনেও মোক যোৱা নেদেখিলে।

প্ৰথমে উত্তৰ-মুৱা হৈ মই যাবলৈ ধৰিলোঁ। বহুত গাওঁ-ভূঁই, হাবি-বন এৰি গলোঁ; নৈ-নলা, জুৰি-নিজৰা পাৰ হলোঁ। তেতিয়াও গৈয়ে আছোঁ; কিয় গৈছোঁ, বা ক'লৈ গৈছোঁ একো কব নোৱাৰোঁ। অৱশেষত গৈ গৈ এখন অটব্য হাবি পালোঁ। ঘোৰ অৰণ্য। তাত মাই-মনিচৰ সমাগম নাই। ক'তো কাৰো মাতবোল শুনা নাযায়। মাজে-সময়ে বনৰীয়া জন্তুৰ কোলাহল, আৰু ওপৰত গছৰ ডালত গোৱা পখীৰ গীতহে মাথোন শুনা যায়। তাতেই খন্তেকৰ কাৰণে বনৰ নিস্তব্ধতা ভাগি উঠে।

সেই বনৰ মাজতেই এটা বৰ বিতোপন সৰোবৰ আছিল। সৰোবৰত মোৰ চকু পৰিল। বৰ প্ৰকাণ্ড সৰোবৰ। ওচৰত বতাহ দিয়াত তাৰ পানীবোৰে যেন আনন্দত খৌকি-বাখৌকি লগাইছে। মাজত বগা, নীলা অনেক পদুম ফুল ফুলি আছে। সুগন্ধত চৌদিশ আমোদিত। পাৰৰ গছত পৰি গোৱা হৰেক ৰকমৰ চৰাইৰ গীতত ঠাইডোখৰ আমোদিত হৈ পৰিছে। হাবিৰ মাজে মাজে বাট বুলি মই তেতিয়া ভাগৰত ক্লান্ত হৈ পৰিছিলোঁ। ভোক আৰু পিয়াহত কণ্ঠ-কণ্ঠ শুকাই গৈছিল। পানী দেখি প্ৰাণ আহিল। গা ধুই বনৰ ফলমূল আৰু সৰোবৰৰ স্ফটিক-জল হেপাহ পলুৱাই খাই ললোঁ গা-মন শীতল পৰিল; প্ৰাণবন হৰিয়ে যেন মোক ৰক্ষা কৰিলে। শৰীৰৰ দুখ-ভাগৰ যেন সকলো দূৰ হ'ল।

মই তেতিয়া সৰোবৰৰ দাঁতিৰ এজোপা বিশাল অশ্বত্থ গছৰ তলত আৰাম কৰি বহি ললোঁ। কিবা এক নজনা আনন্দত যেন মোৰ মন নাচি উঠিল। প্ৰাণৰ তলিৰপৰা মুখ ভৰি ভৰি হৰিনাম ওলাবলৈ ধৰিলে। মই ইমান আপোন-পাহৰা হলোঁ যে মোৰ বাহ্যিক জ্ঞান নাইকিয়াৰ দৰে হ'ল। অকস্মাতে সন্মুখত মই যেন দেখিলোঁ মোৰ প্ৰাণধন নাৰায়ণৰ অনিন্দ্য-সুন্দৰ চতুৰ্ভুজ মুৰ্ত্তিটো। শঙ্খ, চক্ৰ, গদা, পদ্ম—চাৰি অস্ত্ৰ চাৰি হাতত। মুখত ভুবন-ভুলোৱা মনোহৰ হাঁহি। আনন্দত মোৰ চকু-লো বৈ গ'ল। আবেগত শৰীৰ শিয়ঁৰি উঠিল। মই বোবাৰ দৰে ৰ-লাগি চাই ৰলোঁ। মুখেৰে কথা ফুটি নোলাল। অজ্ঞাতসাৰেই আঠু যুৰি মুৰ্ত্তিক সেৱা কৰিলোঁ।

কি বেজাৰৰ কথা—খন্তেকৰ পিছতে মোক এৰি সেই আনন্দময় মনোহৰ মুৰ্ত্তি শূন্যত বিলীন হ'ল। মই নিঃসহায়, নিঃসম্বল হৈ বেজাৰত কেকুবিবলৈ ধৰিলোঁ। চাৰিওফালে অন্ধকাৰ দেখিলোঁ। মোৰ এনে শোকাতুৰ অৱস্থা দেখি দয়াময় ভগৱানৰ পুত্তৌ জন্মিল। আকাশী বাণীয়ে মোক যেন কলে—"তুমি মোক আৰু ইহজনমত দেখা নোপোৱা। একান্তমনে মোৰ নাম-গুণ কীৰ্ত্তন কৰি থাকা, সি-জন্মত আকৌ সদায় মোক দেখিবলৈ পাবা—

"মোৰ নাম গুণ মাত্ৰ কৰিও কীৰ্ত্তন।
পাইবা আউৰ জনমত সদা দৰিশন॥"

কথা শুনি মোৰ জীউ আহিল। মনত নতুন বল পালোঁ। মোৰ মুখেদি আগতকৈও বেছি উলাহেৰে হৰিনাম ওলাবলৈ ধৰিলে।

এইদৰে অনেক কাল কটালোঁ। অনেক যুগ পাৰ হৈ গ'ল। কত সহস্ৰ বছৰ অনন্ত কাল-সমুদ্ৰত লীন গ'ল। শেষত এদিন সৃষ্টিৰ শেষ দিন আহি পৰিল। মহা-প্ৰলয় উপস্থিত হ'ল। জগতৰ সকলো বস্তু লয়-ক্ষয় হবলৈ ধৰিলে। মোৰ চকুৰ আগতেই বিধাতাৰ বিনন্দীয়া সৃষ্টি লোপ পাই আহিল। যেন কোনো বাজিকৰে তেওঁৰ মায়া-বাজিহে সামৰি পেলালে! মই তেতিয়া [illegible] হলোঁ। যোগৰ বলত নিজেই সূক্ষ্ম কায়া ধাৰণ কৰিলোঁ। এটি পৰমাণুত পৰিণত হোৱাত ভগৱানে ৰক্ষাই মোক উদ্ধাৰৰ সময়ত নিজৰ গাত সামৰি ললে। মই সৃষ্টিকৰ্তাৰ শৰীৰত লীন হ'লোঁ।

হৰি-ভক্তিৰ গুণৰ কথা কি কম? ইয়াৰ বলতেই প্ৰলয়কালতো মই বিনাশ নহলোঁ। আকৌ সৃষ্টি-পাতনি আৰম্ভ হোৱাত ইয়েদি, মই ব্ৰহ্মাৰ

মানসপুত্ৰ হৈ উপজিলোঁ। এইবাৰ মোক সকলোৱে দেৱৰ্ষি আখ্যা দিলে। মই নিজে হলে তেনে কোনো নাম পাবলৈ হাবিয়াহ কৰা নাই। হৰিনামত বাহিৰে মই আৰু অন্য একো নাজানো। হৰিনামেই মোক সকলো দিছে। ইয়াতকৈ মূল্যবান বস্তু জগতত আৰু একো নাই। ইয়াৰ প্ৰভাৱতেই মই আজি সংসাৰৰ মোহ-মায়াৰ হাত সাৰিব পাৰিছোঁ। মোৰ মনত আজি কামনা-বাসনা, দুখ-বেজাৰ আদিৰ চেকা সমূলি নাই। তুমিও সেইবাবেই ভগৱান কৃষ্ণৰ গুণ-কীৰ্ত্তনত মন ঢালি দিয়া। তাকে কৰিলে তোমাৰ মনৰ ক্লান্তি-অৱসাদ সকলো আপোনা-আপুনি আঁতৰি যাব।"

এইদৰে বেদ-ব্যাসক উপদেশ দি হাতত বীণধ্বনি লৈ নাৰদ স্বৰ্গলোকলৈ উভতি গ'ল। বেদ-ব্যাসেও নাৰদৰ উপদেশ মতে বাৰটা খণ্ড বা স্কন্ধত ভাগৱত পুথিখন ৰচনা কৰিলে। তেওঁ তেতিয়া মনৰ হেৰোৱা শান্তি ঘূৰাই পালে। হিন্দুৰ ভাগৱত পুথি এইদৰেই ৰচিত হৈছিল।

শুক নিগদতি ৰাজা শুনা পৰীক্ষিত

(ভাগৱত)

পুৰণি শব্দ-পুথিবোৰৰ সৰহ ভাগৰেই নতুন আখ্যা আৰম্ভ হয়—"শুক নিগদতি ৰাজা শুনা পৰীক্ষিত" এই কথা শাৰীৰে। তাৰ মানে শুকে কৈছে আৰু ৰজা পৰীক্ষিতে শুনিছে। এই শুক নো কোন, পৰীক্ষিতেই বা কোন আৰু কেনেকৈ নো এজনে আনজনৰ আগত কি কৈছিল, সেই বিষয়ে ইয়াত কোৱা হব।

তেতিয়া কুৰুক্ষেত্ৰৰ মহাৰণ কথমপি শেষ হৈছে। পাণ্ডৱ জিকিছে, কৌৰৱ হাৰিছে। বিজয়ৰ উৎসৱ তেতিয়াও আৰম্ভ হবৰ নো। দুয়ো পক্ষৰ ছাউনিত হতাহত বীৰৰ গণ্তি হব লাগিছে। ৰণ-ভূমিখন এখন

বিশাল শ্মশানত পৰিণত হৈছে। মৰা-শ-খোৱা কাউৰী-শগুন, শিয়াল-কুকুৰৰ খিকিন্দালিত কাণ তাল মাৰি ধৰে। কিযে এটা ভয়াবহ দৃশ্য! সময়ে-সময়ে তেতিয়াও ৰণ-ভূমিত পৰি থকা দুই-এটা আহত সৈন্যৰ হিয়াভঙা কাতৰ স্বৰ কাণত পৰেহি।

ভীমৰ হাতত উৰু-ভঙ্গ হৈ কুৰুপতি দুৰ্য্যোধনো ৰণক্ষেত্ৰত পৰি আছিল। এনে সময়ত তেওঁক ভালৰি যোৱাবৰ কাৰণে গুৰু দ্ৰোণৰ পুত্ৰ অশ্বত্থামাই এটা বৰ গৰ্হিত কাম কৰিলে। তেওঁ চোৰৰ দৰে হাতত-সাৰে ভৰিত-সাৰে মাজ-নিশা পাণ্ডৱ-শিবিৰত প্ৰৱেশ কৰি দ্ৰৌপদীৰ শুই থকা পাঁচ পুতেকৰ মূৰবোৰ তৰোৱালেৰে কাটি নি দুৰ্য্যোধনৰ হাতত দিলেগৈ। শত্ৰু পাণ্ডৱসকলৰ এনে অনিষ্টৰ খবৰ পাই মন্দ-মতি দুৰ্য্যোধনৰ মনত পোনতে অলপ ৰং লাগিছিল। কিয়নো পাণ্ডৱসকল তেওঁৰ আছিল জনম-বৈৰী। কিন্তু যেতিয়া তেওঁ এবাৰ ভাবিলে যে এই কাৰ্য্যৰপৰা কৌৰৱ-পাণ্ডৱ উভয় পক্ষৰেই বংশ-ছেদ হ'ল—তেতিয়া আৰু তেওঁ স্থিৰেৰে থাকিব নোৱাৰিলে। চকুৰেদি ধাৰাসাৰে চকু-লো বৈ গ'ল। অশ্বত্থামাক এনে অবিবেকী কামৰ কাৰণে গালি-শপনি পাৰিবলৈ ধৰিলে।

ৰাতি পুৱাল। বেলি উঠাৰ লগে লগে চাৰিওফালে সকলো কথা সদৰি হৈ পৰিল। পুত্ৰ-শোকত বিহ্বল হৈ দ্ৰৌপদীয়ে হিয়া-ঢাকুৰি কান্দিব বলৈ ধৰিলে। তেওঁৰ শোকাকুল অৱস্থা দেখি বাটকৰায়ো চকুলো টুকিলে। পাণ্ডৱসকলো শোকত কাতৰ হৈ পৰিল। এনে শোকাকুল অৱস্থাতো মধ্যম-পাণ্ডৱ অৰ্জ্জুনে কথমপি শোক সম্বৰণ কৰি দ্ৰৌপদীক সান্ত্বনা দিলে আৰু দ্ৰৌপদীৰ মনস্তুষ্টি সাধনৰ কাৰণে অশ্বথামাৰ মূৰ কাটি আনি দিবলৈ প্ৰতিজ্ঞা কৰিলে। যেনে প্ৰতিজ্ঞা তেনে কাম। তৎক্ষণাৎ তেওঁ সখা কৃষ্ণক সাৰথি লৈ অশ্বথামাক বিচাৰি বাহিৰ হ'ল। মনোজয় বেগে ৰথ চলিবলৈ ধৰিলে।

কৃষ্ণাৰ্জ্জুনক দেখি ভয়ত অশ্বথামা লৰি পলাল। কিন্তু পলালে জানো ৰক্ষা আছে? কৃষ্ণাৰ্জ্জুনে তেওঁক পাছ খেদাদি খেদি নিলে। তৎ-মৎ নাপাই অশ্বথামাই তেতিয়া টোণৰপৰা ব্ৰহ্ম-শৰ টানি আনি মন্ত্ৰ পঢ়ি অৰ্জ্জুনলৈ প্ৰহাৰ কৰিলে। অব্যৰ্থ ব্ৰহ্ম-শৰে কালান্তক মূৰ্ত্তি ধৰি অৰ্জ্জুনক খেদি আহিল। শ্ৰীকৃষ্ণই দেখে অৰ্জ্জুন এতিয়া ধ্বংস হয়। তেওঁ ততালিকে সেই বাণ নিবাৰণ কৰিবৰ কাৰণে অৰ্জ্জুনক দেৱ-দত্ত ব্ৰহ্ম-শৰ প্ৰহাৰ কৰিবলৈ

উপদেশ দিলে। অৰ্জ্জুনেও তাকে কৰিলে। দুয়ো ব্ৰহ্ম-শৰ গৈ আকাশত লগ লাগিল। অৰ্জ্জুনৰ ব্ৰহ্ম-শৰে গুৰুপুত্ৰ অশ্বত্থামাৰ ব্ৰহ্ম-শৰ কাটি পেলালে।

ব্ৰহ্ম-শৰ নাশ হোৱাত অশ্বত্থামা তেনেই হতবুদ্ধি হ'ল। নিৰুপায় অৱস্থাত পৰি উবাজুৰা কৰি থাকোঁতে খেদি গৈ অৰ্জ্জুনে তেওঁক ধৰা মাৰি ধৰি পেলালে আৰু ৰথত তুলি লৈ দ্ৰৌপদীৰ হাতত শোধাই দিলেহি।

অশ্বত্থামাৰ প্ৰাণ এতিয়া দ্ৰৌপদীৰ হাতত। তেওঁ দ্ৰৌপদীৰ মহৰিৰ তলৰ মহ। দ্ৰৌপদীয়ে তেওঁক এতিয়া মাৰিলেও মাৰিব পাৰে, তাৰিলেও তাৰিব পাৰে। পিছে, হাজাৰ হওক, দ্ৰৌপদী তিবোতা মানুহ। পুত্ৰ-শোকত অন্তৰ ভাগি গৈছে যদিও, গুৰু-পুত্ৰ অশ্বত্থামাৰ তেনে শোচনীয় অৱস্থা দেখি তেওঁৰ নাৰী-হিয়াত দয়াৰ উদ্ৰেক হ'ল। অশ্বত্থামাৰ মাক বৃদ্ধা গৌতমীলৈ তেওঁৰ মনত পৰিল। অশ্বত্থামাক মাৰি পেলালে গৌতমীৰ কি অৱস্থা হ'ব—এই চিন্তাই তেওঁৰ অন্তৰ তেনেই জয় কৰিলে। তেতিয়া তেওঁ অশ্বত্থামাক এৰি দিবলৈয়ে ভাবিলে।

ভীমে দ্ৰৌপদীৰ মনৰ অৱস্থা লক্ষ্য কৰি আছিল। তেওঁ কিন্তু শত্ৰুক শুদাই এৰি-দিয়া-বিধৰ লোক নহয়; ভীষণ প্ৰতিশোধপৰায়ণ! তেওঁ অশ্বত্থামাৰ ওপৰত জঁপিয়াই পৰিল। তেতিয়া অশ্বত্থামাক লৈ আকৌ এটা সমস্যা উপস্থিত হ'ল!—এৰি দিবনে মাৰি পেলাব?

এই সমস্যাত দৈৱকীনন্দন কৃষ্ণৰ বাহিৰে উপায় দিব পৰা অন্য লোক নাই। তেওঁ পাণ্ডৱসকলক সদায় সকলো কামতে দিহা-পৰামৰ্শ দি সহায় কৰি আহিছে। সেই কাৰণেই পাণ্ডৱসকলে তেওঁক বিপদ-ভঞ্জন কৃষ্ণ বোলে। এইবাৰো তেৱেঁই বুধি উলিয়ালে। অৰ্জুনৰ প্ৰতিজ্ঞাৰ কথাও তেওঁ পাহৰা নাই। সেই দেখি সকলোৰে ইচ্ছা যাতে পূৰ হয় তাৰ বাবে তেওঁ অৰ্জুনক অশ্বত্থামাৰ চূড়ামণিৰ সৈতে মূৰৰ চুলি কাটি টকলা কৰিবলৈ ইঙ্গিত দিলে। অৰ্জুনেও সখা-কৃষ্ণৰ উপদেশ মতেই কাম কৰিলে আৰু অশ্বত্থামাক টকলা কৰি এৰি দিলে!

চুলি-কটা অশ্বত্থামা এতিয়া সাক্ষাৎ নেগুৰ-কটা বাঘ হৈ পৰিল। তেওঁ লাজতে মানুহৰ আগত মুখ নেদেখুৱাই বুলি হাবিৰ মাজ পালেগৈ। অন্তৰত তেওঁৰ প্ৰতিশোধৰ জুই জলিবলৈ ধৰিলে। ছলে-বলে-কলে-কৌশলে

পাণ্ডৱৰ কেনেকৈ অনিষ্ট কৰিব পাৰে এয়ে হ'ল তেওঁৰ ধ্যান। এইবাৰ তেওঁ পাণ্ডৱসকলক নিৰ্ব্বংশ কৰিবলৈ সঙ্কল্প কৰিলে। সেই উদ্দেশ্যে তেওঁ টোপৰপৰা বাছি বাছি ছয় পাত ব্ৰহ্ম-শৰ উলিয়াই ললে : পাঁচ পাত পাঁচ পাণ্ডৱৰ কাৰণে আৰু ষষ্ঠ পাত অভিমন্যুৰ পত্নী উত্তৰাৰ গৰ্ভত থকা সন্তানটিৰ কাৰণে। মন্ত্ৰ পঢ়া'ৰ লগে লগে শৰ কেইপাতে ভীষণ মূৰ্ত্তি ধাৰণ কৰিলে। অশ্বত্থামাই মন্ত্ৰ পঢ়ি সেই শৰ পাণ্ডৱসকলৰ কাৰণে প্ৰহাৰ কৰিলে। শৰে দশোদিশ উজ্জ্বল কৰি সাক্ষাৎ জুই ছয়কুৰাৰ দৰে পাণ্ডৱ-শিবিৰলৈ খেদি আহিল।

শ্ৰীকৃষ্ণত বাহিৰে তেতিয়ালৈকে পাণ্ডৱ শিবিৰত আন কোনেও এই কাৰ্য্যৰ ভুংসূত্ৰ একো পোৱা নাছিল। ইফালে কালান্তক মূৰ্ত্তি ধৰি শৰ ওচৰ পালে-হিয়েই। শ্ৰীকৃষ্ণই ভাবিলে—চাওঁতে চাওঁতেই এতিয়া পাণ্ডৱসকল নিৰ্ম্মূল হয়। তেওঁ অলপো সময় নকটোৱাকৈ হাতত সুদৰ্শন চক্ৰ লৈ পাণ্ডৱ-সকলৰ ৰক্ষাৰ কাৰণে থিয় হ'ল। কৃষ্ণৰ আদেশ পাই চক্ৰ আকাশত ঘূৰি-বলৈ ধৰিলে আৰু চক্ৰত লাগি অশ্বত্থামাৰ ব্ৰহ্মবাণ চূৰ্ণীকৃত হ'ল। ভক্ত-বৎসল কৃষ্ণই তেতিয়া মায়া কৰি উত্তৰাৰ গৰ্ভতো প্ৰবেশ কৰিলে আৰু তেওঁৰ কৃপাতেই উত্তৰাৰ গৰ্ভ ৰক্ষা পৰিল। শিবিৰত থকা লোকসকলৰ মনত এই সমস্ত ঘটনা কিবা এক ভেল্কি-ভোজবাজী যেনহে লাগিল। ভগবান কৃষ্ণই তেতিয়া সকলো কথা বিবৰি কলে আৰু সেই কাহিনী শুনি সকলোৱে বিস্ময়ত তবধ মানিলে।

সেই সময়ত পিতামহ ভীষ্ম আছিল শৰ-শয্যাত পৰি। শ্ৰীকৃষ্ণই পাণ্ডৱ-সকলক তেওঁৰ ওচৰলৈ লৈ গ'ল। তেওঁলোক সকলোটি একেলগে যোৱাত পিতামহৰ মনত বৰ ৰং লাগিল। তেওঁ পাণ্ডৱসকলক আশীৰ্ব্বাদ দি নানা বিষয়ে উপদেশ দিলে; নানা সজ-কথা শিকালে। চাৰি-শ বছৰীয়া বুঢ়া ভীষ্মদেৱৰপৰা শুনা অমূল্য উপদেশবোৰে পাণ্ডৱসকলক পিছৰ জীৱনত বিস্তৰ সহায় কৰিছিল।

পিতামহ ভীষ্মই বাসুদেৱ কৃষ্ণক সন্মুখত পাই নানা প্ৰকাৰে স্তুতি কৰি-বলৈ ধৰিলে। কৃষ্ণয়ো পিতামহৰ গাত এবাৰ হাত বুলাই দিলে। তেওঁৰ অমৃতময় পৰশত পিতামহৰ গাৰ বিষ সকলো দূৰ হ'ল। তেওঁ শান্তিৰে এবাৰ বিদায় এৰি ভগবানৰ নাম লৈ নশ্বৰ দেহ ত্যাগ কৰিলে। ইয়াৰ পিছত সকলোৰেপৰা বিদায় লৈ বছৰাশি কৃষ্ণও দ্বাৰকালৈ উভতি গ'ল।

ইফালে যথাসময়ত উত্তৰাৰ পুত্ৰ উপজিল। ব্যাসদেৱৰ উপদেশ মতে ধৰ্ম্মৰাজ যুধিষ্ঠিৰে শিশুৰ জাত-কৰ্ম্ম সকলো সমাধা কৰিলে। ঋষিসকলে গণি-পঢ়ি চাই শিশুৰ মহা সৌভাগ্যৰ কথা জানিব পাৰিলে আৰু পাণ্ডৱ-সকলক সেই বিষয়ে জনালেগৈ। নাতি-ল'ৰাৰ সৌভাগ্যৰ কথা শুনি পাণ্ডৱ-সকল আনন্দত অতীৰ হ'ল। দুখীয়া-দৰিদ্ৰ, ব্ৰাহ্মণ-সজ্জনক ধন-সোণ দান দিলে। শিশুৰ দুটা নাম ৰখা হ'ল : বিষ্ণুৰাত আৰু পৰীক্ষিত। গৰ্ভত বিষ্ণুৱে ৰক্ষা কৰিছিল কাৰণে বিষ্ণুৰাত; আৰু গৰ্ভত থাকোঁতেই ভগৱানৰ মূৰ্ত্তি পৰীক্ষা কৰি চাব পাৰিছিল কাৰণে পৰীক্ষিত। শেহত পৰীক্ষিত নামেই বিদিত হৈ পৰিল।

পাণ্ডৱসকলৰ আতোল-তোল মৰম-চেনেহৰ মাজেদি পৰীক্ষিত লাহে লাহে ডাঙৰ হৈ আহিল। সকলো কামতে তেওঁৰ পটুতা ফুটি উঠিবলৈ ধৰিলে। আজি-কালিকৈ তেওঁ গৈ যেতিয়া যৌৱনৰ দুৱাৰ-দলিত ভৰি দিলে তেতিয়া এদিন দ্বাৰকাৰপৰা বাতৰি আহিল যে শ্ৰীকৃষ্ণ আৰু ইহ-জগতত নাই; ব্যাধৰ শৰত তেওঁ বৈকুণ্ঠী হ'ল। এই নিদাৰুণ বাতৰিয়ে পাণ্ডৱসকলক বিহ্বল কৰি তুলিলে। গোটেই ৰাজ্যতে এই বাতৰি বিয়পি পৰিল। কৃষ্ণৰ বিয়োগত যেন সমগ্ৰ ৰাজ্য শোক-সাগৰত বুৰ গ'ল। সতী কুন্তীদেৱীয়ে গিৰি-ধাৰী কৃষ্ণৰ নাম-গুণ গায়েই প্ৰাণ এৰিলে।

পাণ্ডৱসকলে ভাবিলে যে তেওঁলোকৰো এই পৃথিৱীত চাউল উঠিল। ৰাজ্য-ভাৰ এৰিবৰহে হ'ল। সেইমতে এদিন ৰাজ-সভা পাতি ধৰ্ম্মৰাজ যুধিষ্ঠিৰে মহা সমাৰোহেৰে নাতি পৰীক্ষিতক সিংহাসনত বহুৱালে। এইদৰে চাওঁতে চাওঁতেই পাণ্ডৱসকলে সংসাৰৰ মায়া-মমতা ত্যাগ কৰি ৰাজসুখ হেন সুখকো নেওচা দি এদিন সকলোটিয়ে বনলৈ যাবলৈ ওলাল।

পাঁচোজনে ৰাজ-আভৰণ সোলোকাই থৈ গেৰুৱা-বসন পিন্ধি ললে। স্বামীসকলৰ সংগতে দ্ৰৌপদীও ওলাল : 'কাৰণ স্বামীৰ অবিহনে সতী তিৰোতাৰ জীৱন বৃথা।' এইদৰে সকলোটিয়ে ঘৰৰপৰা বাজ হৈ সোনমতে উত্তৰ-মুৱা হৈ হিমালয়ৰ ফালে খোজ ললে। ৰাজ্যৰ লোকসকলে কান্দি-কাটি বেজাৰ মনেৰে তেওঁলোকক বিদায় দিলে।

বহুত দিন খোজৰ পিছত তেওঁলোক আৰু পাণ্ডু-ভূঁই লোপোৱা হ'ল। গৈ গৈ অটব্য অৰণ্যত প্ৰৱেশ কৰিলে। আগে নগাধিৰাজ হিমালয়ৰ

নামনি! খোজে খোজে পৰ্ব্বতত উঠি গৈ থকাৰ লগে লগে ভাগৱত তেওঁলোক লালকাল হ'ল। বনৰ ফলমূল আহাৰ কৰি আৰু কিমান দিন জীয়াই থাকিব? ভোকত ভাত আৰু পিয়াহত পানী নাপাই তেওঁলোকৰ শৰীৰ শুকাই-খীণাই যাবলৈ ধৰিলে। লাহে লাহে মুখৰ মাত নোলোৱা হৈ আহিল। এনেকৈ গৈ থাকোঁতে বাটত একে একে ভীম, অৰ্জ্জুন আদি চাৰি ভাই আৰু দ্ৰৌপদীৰ মৃত্যু হ'ল। ধৰ্ম্মৰাজ যুধিষ্ঠিৰ অকলে অৱশেষ থাকিল; আৰু থাকিল এটা কুকুৰ। এই কুকুৰটোৱে তেওঁলোকৰ পাছ এৰা নাছিল! কুকুৰটোৰে সৈতে গৈ গৈ ধৰ্ম্মৰাজ যুধিষ্ঠিৰে অৱশেষত সৌ-শৰীৰে স্বৰ্গ পালেগৈ। এই কুকুৰটো আছিল ছদ্মবেশী ধৰ্ম্ম।

(২)

দিল্লীৰ পুৰণি নাম ইন্দ্ৰপ্ৰস্থ। পৰীক্ষিত এতিয়া ইন্দ্ৰপ্ৰস্থৰ ৰজা। তেওঁ ইৰাৱতী নামে এগৰাকী পৰম ৰূপৱতী কন্যা বিয়া কৰালে আৰু যথাসময়ত জন্মেজয় আদি চাৰি পুত্ৰৰ জন্ম হ'ল। পৰীক্ষিত ৰজাৰ নাম-যশৰ কথা দেশে-বিদেশে বিয়পি পৰিল। নিজৰ আৰু বংশৰ গৌৰৱ প্ৰচাৰ কৰিবৰ কাৰণে অশ্বমেধ যজ্ঞকে তেওঁ এবাৰ নহয়, দুবাৰ নহয়, তিনিবাৰ কৰিলে।

দিগ্‌বিজয় কৰি ফুৰোঁতে এদিন পৰীক্ষিত ৰজাই এটা বৰ আচৰিত কাণ্ড দেখিলে। ঘটনাটো ঘটিছিল কুৰুক্ষেত্ৰৰ ওচৰত। ৰজাৰ সাজপাৰ পিন্ধা এজন মানুহ। তাৰ সন্মুখত এজনী গাইগৰু আৰু এটি ষাঁড়। ষাঁড়টো বৰফৰ দৰে বগ্‌ বগ্‌ কৰে বগা। এই মানুহজনে ষাঁড়টোক আৰু গাইজনীক নিষ্ঠুৰভাৱে কোবাব লাগিছে। কোবত বেচাৰা ষাঁড়টোৰ তিনিখন ঠেং ভাগিছে; এখনত ভৰ দি কথমপি সি কঁপি কঁপি থিয় হৈ আছে। গাইজনী দেখাত ডাঙৰ, কিন্তু ঘাহ-পানী খাবলৈ নাপাই তাইৰো হাড়ত ছাল লাগিছে গৈ। সিহঁত দুয়োকো মানুহজনে নিষ্কৰুণভাৱে কোবাব লাগিছে। দুয়োৰো কাতৰ হেম্বলনি শুনিলে বাটৰ বাটৰুৱাৰো চকুলো ওলায়।

দৃশ্যটো দেখি ৰজা আৰু থিৰে থাকিব নোৱাৰিলে। হাতৃত চোকা শৰ এপাট থুৰি লৈ খঙেৰে তেওঁ মানুহজনলৈ টোৰ্'াই খেদি গ'ল। ৰজাৰ এই মূৰ্ত্তি দেখি মানুহজনে ভয়ত কঁপিবলৈ ধৰিলে। সি তেনেই বেবুৰা লাগিল।

মুখেৰে এষো মাতিবলৈ নৌ-পাওঁতেই ৰজাই তাক সুধিলে, “সাজপাৰত ৰজাটো হৈ কামত পাষণ্ডৰ দৰে আচৰণ কৰা তই কোন?” সি উত্তৰ দিব নোৱাৰি সেপ ঢুকি থাকোঁতেই ৰজাই ষাঁড়টোক আৰু গাইজনীক মুকলি কৰি দিলে। কি আচৰিত কথা—মুকলি হৈ ষাঁড়টোৱে মানুহৰ দৰে কবলৈ ধৰিলে—“মহাৰাজ, মোৰ নাম ধৰ্ম্ম। মোৰ তপ, শৌচ, দয়া আৰু সত্য—এই চাৰিখন ঠেং। তপ, শৌচ আৰু দয়া এই তিনিখন ঠেং মোৰ আগতে ভাগিছে। সত্য নামৰ যিখন ঠেং মোৰ ভালে আছিল, তাৰে বলতেই কোনোমতে লেৰ্কোচিয়াই লেকেচিয়াই খোজ কাঢ়ি ফুৰিছিলোঁ। এতিয়া এই পাষণ্ডৰ হাতত সিখন ঠেঙো যাবলৈ ওলাইছে। গাইৰূপী এওঁ হ'ল—বসুমতী। শ্ৰীকৃষ্ণ স্বৰ্গ লৈ যোৱাৰ পিছত এৰেঁা শুকাই-খীণাই লেৰেলি গৈছে। এই মানুহটোৰেই নাম কলি। এই নৰাধমে পাই আমাক লটি-ঘটি কৰিছে। তোমাৰ অবিহনে আজি ইয়াৰ হাতত আমি নিগমে মৰিলোঁহেতেন। ইয়াক উপযুক্ত শাস্তি দি আমাৰ প্ৰাণৰক্ষা কৰক মহাৰাজ!”

ধৰ্ম্মৰূপী ষাঁড়ৰ কথা শেষ হোৱাৰ লগে লগে টেঙৰ কলিয়ে পৰীক্ষিতৰ চৰণত দীঘল হৈ পৰি সেৱা জনালে, আৰু কান্দি কান্দি কলে, “মহাৰাজ, মই আপোনাৰ অভয় চৰণত আশ্ৰয় মাগিছোঁ; মোক ৰক্ষা কৰক। আশ্ৰিতক বধ কৰা পাপ, মহাৰাজ!” দুৰ্জ্জন কলিয়ে অনুনয়-বিনয় কৰি আৰু অনেক কথা পৰীক্ষিতক কলে।

ছলাহী কলিৰ চাটু কথাত ৰজা পৰীক্ষিতৰ চিত্ত কুমলিল। তেওঁ ধৰ্ম্ম আৰু ধৰিত্ৰীক ৰক্ষা কৰাৰ লগে লগে কলিকো আশ্ৰয় দিবলৈ স্থিৰ কৰিলে। কলিক তেওঁ ৰাজ্যৰ এটি চুকত থাকিবলৈ দি কলে যে য'ত হৰিনাম আৰু বিষ্ণুভক্ত থাকে তালৈ যেন সি নাযায়। চিৰ-সঙ্গী হিচাবে কলিয়ে কাক কাক পাব—সেই বিষয়ে ৰজাই আৰু কলে—

‘অধৰ্ম্মৰ বন্ধু তই পাপৰ প্ৰাৰম্ভ।
তোৰ সঙ্গী সদায়ে কলহ লোভ দম্ভ॥
দুষ্ট শঠ কপটী টেটোন খট চোৰ।
মিছা মোহ কুলক্ষণী অসতী কলি তোৰ॥”

ইয়াকে কৈ ৰজাই কলিক বিদায় দি ধৰ্ম্ম-ষাঁড়ৰ তপ, শৌচ আৰু দয়া—এই তিনিখন ঠেং ঔষধ-পাতিৰে জোৰা লগাই দিলে। তাৰ পিছত তেওঁ সসৈন্যে ঘৰলৈ উভতিল।

(৩)

অনেক দিনৰ পিছৰ কথা। এদিন পৰীক্ষিত ৰজা মৃগয়ালৈ যাওঁতে সংগত অলেখ গজ-বাজী, সৈন্য-সামন্ত, সচিব-সহচৰ। গৈ গৈ সকলোৱে হাবিৰ মাজত থকা এখন ধুনীয়া আশ্ৰম পালে। চাৰিওফালে নিমাত-নিতাল। আশ্ৰমৰ জীৱজন্তুবোৰ মুকলি-মূৰীয়াভাৱে ঘূৰি ফুৰিছে। ৰজাই তৎক্ষণাৎ চিকাৰ বন্ধ কৰিবলৈ আদেশ দিলে আৰু সৈন্য-সামন্ত পাছত এৰি নিজে আশ্ৰমৰ ভিতৰলৈ সোমাই গ'ল।

সেইখন আছিল শমীক মুনিৰ আশ্ৰম। ঋষি তেতিয়া পদ্মাসনত বহি ধ্যানত মগ্ন হৈ আছিল। মুখৰ মাতবোল নাই, নাকৰ উশাহ নিশাহো প্ৰায় বন্ধ হোৱাৰ দৰে হৈছে। মূৰৰ চুলিবোৰ ম'খোন জঁটৰ ওপৰত থিয় হৈ বতাহত গছৰ শুকান পাতৰ দৰে লৰি আছিল।

ৰজা পৰীক্ষিত সেই সময়ত ভোক আৰু পিয়াহত বৰ কাতৰ হৈ পৰিছিল। ৰ'দে-বতাহে হাবিৰ মাজত মৃগয়া কৰি ফুৰোঁতে তেওঁৰ অণ্ঠ-কণ্ঠ শুকাই গৈছিল। গতিকে আশ্ৰমত সোমাযেই তেওঁ ঋষিক পানী খুজিলে। তপস্যাত বহি থকা ঋষি কিন্তু নিমাত-নীৰৱ। ৰজাই বহুবাৰ মাতিও তেওঁৰ মুখৰ মাত নাপালে। নাপাই ভাবিলে ঋষিয়ে কিজানি উঠি যোৱাৰ এলাহতে ধ্যান কৰাৰ ভাও জুৰিছে। সেই ভাবি তেওঁক এবাৰ জোকাই চাবলৈ মন কৰিলে।

ইফালে সিফালে চাই তেওঁ ওচৰত এটা মৰা সাপ পৰি থকা দেখিলে। তেওঁ পেংলাই কৰি সেই সাপটো ধনুৰ এমূৰেদি খুঁচি আনি ঋষিৰ ডিঙিত ভালকৈ মেৰিয়াই দিলে। ঋষিৰ কিন্তু তেতিয়াও ভ্ৰূক্ষেপ নাই। ৰজাই তিমানতো ঋষিৰ মাত উলিওৱাব নোৱাৰি তেনেকৈয়ে সাপটো এৰি গুচি গ'ল।

শমীক মুনিৰ পুত্ৰেকৰ নাম আছিল শৃঙ্গী। বয়সত তেওঁ ল'ৰা মানুহ। সেই সময়ত তেওঁ আশ্ৰমৰপৰা অলপ দূৰতে লগৰীয়াসকলৰ লগত খেলি আছিল। ৰজা আশ্ৰম এৰি গুচি যোৱাৰ পিছত শৃঙ্গী ঘৰলৈ আহিল। খেলাৰ লগৰীয়া দুইচাৰিজনো তেওঁৰ লগতে আছিল। সকলোৱে আহি শমীক ঋষিৰ ডিঙিত মেৰিয়াই থোৱা মৰা সাপটো দেখি আচৰিত হ'ল। তাৰে দুই-এজন দুষ্ট লগৰীয়াই পিতাক শমীকৰ অৱস্থাৰ কথা কৈ শৃঙ্গীক

বেয়াকৈ ঠাট্টা কৰিবলৈ ধৰিলে। খং আৰু অপমানত শৃঙ্গী তেনেই ৰঙা-চঙা পৰি উঠিল। ক্ৰোধৰ বেগত তেতিয়া তেওঁ এই বুলি শাপ দিলে— "যি পাষণ্ডই মোৰ পূজনীয় পিতৃৰ ডিঙিত মৰা সাপ আৰি দি ৰংচাংলে সি সাত দিনৰ ভিতৰতে কাল-সৰ্প তক্ষকৰ দংশনত প্ৰাণ এৰিব।" এনেকৈ শাপ দি কান্দি কান্দি তেওঁ পিতাকৰ ডিঙিৰপৰা মৰা সাপটো আঁতৰাই দিলে।

ধ্যানৰপৰা শমীক মুনি চকুমকু খাই সাৰ পাই উঠিল। চকুমেলি চাই খন্তেকতে সকলো কথা জানিব পাৰি পুতেকক তেওঁ বিস্তৰ গৰিহণা দিবলৈ ধৰিলে। কাৰণ পৰীক্ষিতৰ দৰে ৰজা অবিহনে যে সমস্ত ৰাজ্যৰ বিশাল মৰুভূমিত পৰিণত হ'ব। দেশত অনেক অঘটন ঘটিব। চোৰ ডকাইতৰ উৎপাতত সাধু-সন্তসকল সুখে থাকিব নোৱাৰিব! দুখীয়া-দৰিদ্ৰৰ কান্দোনত গছৰ পাত সৰিব।—কিন্তু হলেও কি হ'ব? ব্ৰহ্মশাপ ব্ৰহ্মশাপেই। তাৰ অন্যথা নহয়! স্বয়ং ভগৱানেও তাৰ হাত সাৰিব নোৱাৰে। সি ফলিয়াবই।

ঋষিয়ে গুণি-গাঁথি থাকি শেষত তেওঁৰ প্ৰিয় শিষ্য এজনকে এই নিদাৰুণ খবৰটো দিবলৈ ৰজাৰ ওচৰলৈ পঠিয়াই দিলে। ইফালে ঋষিৰ ডিঙিত মৰা সাপ মেৰিয়াই দি গৈ ৰজাৰো মনত বৰ অনুতাপ হৈছিল! তেওঁ নিজৰ ভুল বুজিব পাৰি সেই সময়ত বিষাদ মনেৰে ৰাজ-চ'ৰাত বহি আছিল। ৰজাই ঘনে ঘনে ভাবিছিল যে তেওঁৰ সেই খেমেলীয়া কামৰেই হয়তো ফল ভীষণ হৈ উঠিব পাৰে। এনেকৈ ভাবি থাকোঁতেই ঋষিৰ শিষ্য গৈ উপস্থিত হ'ল। তেওঁৰ মুখে ৰজাই সকলো খবৰ পালে। কিন্তু তাত যেন তেওঁ অকণো আচৰিত নহ'ল। কিয়নো তাক তেওঁ নিজৰ কৃত কৰ্মৰ অৱশ্যম্ভাৱী ফল বুলি ধৰি ললে।

অসীম ধৈৰ্য্যৰে তেওঁ তেতিয়া পুতেক জন্মেজয়ক ওচৰলৈ মাতি আনি সকলো কথা বিবৰি কলে আৰু অমাত্যসকলৰ লগত পৰামৰ্শ কৰি দিন-টোৰ ভিতৰতে ৰাজ্যভাৰ সকলো জন্মেজয়ক গতাই দিলে। এই নিদাৰুণ বাৰ্ত্তা অলপ সময়ৰ ভিতৰতে বনাগ্নি বিয়পাৰ দৰে ৰাজ্যত বিয়পি পৰিল। খন্তেকৰ ভিতৰতে ৰাজ্যৰ সকলো আমোদ-আনন্দ অন্তৰ্হিত হ'ল। প্ৰজাৰ কান্দোনে সুখময় ৰাজপুৰী ঘোৰ শ্মশানত পৰিণত কৰিলে। ৰজা পৰীক্ষিত কিন্তু তেতিয়াও অচল-অটল। তেওঁ নিৰুদ্বেগ চিত্তে সকলোকে শোক সম্বৰণ

কৰিবলৈ প্ৰবোধ দিলে আৰু নিজেও আনন্দ মনে সংসাৰৰ মায়া-মমতা ত্যাগ কৰিলে। তেতিয়া তেওঁ ইষ্টদেৱ কৃষ্ণৰ নামহে মাথোন ঘনাই স্মৰণ কৰিবলৈ ধৰিলে।

সাত দিন; মাথো সাতোটা দিন তেওঁৰ হাতত। তাৰ পিছত সকলো শেষ। ইয়াৰ ভিতৰতেই ধৰ্ম্ম, কৰ্ম্ম সকলো যদি লব লাগে। গতিকে তেওঁ ৰাজধানী এৰি পুণ্য-তোয়া গঙ্গাৰ তীৰলৈ যাত্ৰা কৰিলে।

পৱিত্ৰ-সলিলা গঙ্গাৰ মহাত্ম্য অসীম। সেই কাৰণেই ঋষিসকলে গঙ্গাৰ তীৰ তপ-যপৰ কাৰণে উত্তম ঠাই বুলি বিবেচনা কৰিছিল। ৰজা পৰীক্ষিত গঙ্গাৰ তীৰ পাই তাৰে এডোখৰ মুকলি ঠাইত কুশাসন পাৰি বহি ললে।

ইফালে পৰীক্ষিতৰ ব্ৰহ্মশাপৰ খবৰ ঋষিসমাজত বিয়পি পৰিলত তেওঁলোক সকলো পৰীক্ষিতক চাবলৈ আহিল। সকলৰ অসংখ্য মুনি! নাম কৈ কোনে ওৰ পাব? তাৰে ভিতৰত—

অগস্তি, অঙ্গিৰা, ভৃগু গৌতম সগৰ।
বশিষ্ট, অৰিষ্ট, নেমি, ৰাম, পৰাশৰ।
পিপ্পলাদ, দেৱল, কৱল, কপিলাস।
বিশ্বামিত্ৰ, মৈত্ৰেয়, উতথ্য, উদ্ধ, ব্যাস॥
অত্ৰি, ইন্দ্ৰ, প্ৰমদা, নাৰদ, ঋষিৰাজ।
গাধি, মেধাতিথি, ইধ্যবাহ ভৰদ্বাজ॥
পুলহ, পুলস্তি, পুণ্য, প্ৰভু ভগৱন্ত।
চ্যৱন, সবৰ, আগ্নিসেন, সবদন্ত॥
উতঙ্ক, ত্ৰিতঙ্ক, শঙ্খ, দুৰ্ব্বাশ, দুৰ্ম্মত।
কণ্ব, কালকঞ্জ, ক্ৰতু, কুশিল, সুমতি॥
দেৱঋষি, ৰাজঋষি, ব্ৰহ্মঋষি যত।
অৰুণ প্ৰমুখ্যে আসি ভৈলা উপাগত॥

ঋষিসকলক সন্মুখত দেখি ৰজা পৰীক্ষিতৰ মন হৰিষত নাচি উঠিল; কাৰণ ইমানবোৰ পুণ্যাত্মাৰ দৰ্শন-লাভ কম সৌভাগ্যৰ কথা নহয়। ঋষিসকলক প্ৰণাম জনাই তেওঁ কলে, 'হে পুণ্যাত্মা মুনিসকল, আপোনালোকে জানে, মোৰ অন্তিম কাল ওচৰ চাপি আহিছে। আজিৰপৰা সাতদিনৰ

ভিতৰত তক্ষকৰ দংশনত মোৰ প্ৰাণ যাব। সেইবাবে আপোনালোকৰ ওচৰত মোৰ এয়ে অনুৰোধ আপোনালোকে মোৰ এই সাতদিনৰ কৰ্তব্য তুৰন্তে নিৰ্দ্ধাৰণ কৰি দিয়ক।"

তাকে শুনি ঋষিসকলে বেছি সময় নিনিয়াবলৈ চমুকৈ সকলোৱে নিজ নিজ অভিমত প্ৰকাশ কৰিলে। কোনোৱে কলে যাগ-যজ্ঞাদি কৰিবলৈ; অন্য কোনোৱে কলে দান, তীৰ্থ-স্নান আদি কৰিবলৈ; অন্য কোনো কোনোৱে কলে তপ যপ আদি কৰি কটাবলৈ। কাৰো কাৰো মতে হ'লে হৰিনাম আৰু গঙ্গাস্নানেই যথেষ্ট। এইদৰে নানা মুনিৰ নানা মত হ'ল।

ৰজাই সকলোবোৰ শুনি কোনটো ধৰিব, কোনটো এৰিব—একো উৱাদিহ নাপালে। ইফালে যিমানে সময় যাবলৈ ধৰিলে সিমানে তেওঁৰ মনৰ উচ, পিচনি বাঢ়ি আহিল।

এইদৰে ৰজা পৰীক্ষিতক বেঢ়ি ধৰি ঋষিসকল সভা পাতি বহি আছে। কৰ্তব্য নিৰ্ণয় নোহোৱাত ইফালে ৰজা চিন্তাত বিবৰ্ণ। ঋষিসকলো ৰজাৰ কৰ্তব্য সম্বন্ধে একমত হব নোৱাৰি খন্তেকৰ কাৰণে মৌন হ'ল। মুহূৰ্তৰ বাবে যেন সকলো নীৰৱ-নিস্তব্ধ! এনে সময়ত নতুনকৈ এজন ঋষি আহি সভাত উপস্থিত হ'ল। থুলন্থৰ চেহেৰা তেওঁৰ! যদিও ডাঢ়ি-চুলি পকি কদম ফুলৰ দৰে হৈছে তথাপি তেওঁক ফুটি-যাওঁ ফুটি-যাওঁ কৰিব লাগিছে। মুখত আনন্দৰ ভাগ! সকলোৱে থিয় হৈ তেওঁক শ্ৰদ্ধা জনালে। সকলোৰে মুখ উজ্জ্বল হৈ উঠিল। মনত যেন নতুন আশাই গজালি মেলিলে। কাৰণ এওঁেই মহৰ্ষি শুকদেৱ, মহামুনি বেদব্যাসৰ পুত্ৰ; মহাজ্ঞানী, পৰম পণ্ডিত ত্ৰিকালজ্ঞ ঋষি। তেওঁ নজনা কথা নাই; তেওঁ সমাধান কৰিব নোৱাৰা সমস্যা নাই। গতিকে তেওঁৰ আগত সকলোৱে পৰীক্ষিতৰ সমস্যাৰ কথা নিবেদন কৰিলে।

মহাত্মা শুকেও তেতিয়া খন্তেক ভাবি চালে আৰু পৰীক্ষিতক জীৱনৰ বাকী কেইটা দিন একেবাহে ভাগৱত শুনিবলৈ উপদেশ দিলে। কাৰণ, ভাগৱতত ভগৱান কৃষ্ণৰ লীলা বৰ্ণোৱা আছে। ভাগৱত শুনিলে ৰজাই তীৰ্থ ভ্ৰমণকে আদি কৰি যাগ-যজ্ঞ দান-দক্ষিণা, তপ-যপ, আদি সকলো পুণ্যকামৰ ফল একে ঠাইতে পাব। তাৰ বাবে পৰিশ্ৰমবো আৱশ্যক নহব।

জ্ঞানী শুকদেৱৰ কথা সকলোৰে মনত লাগিল। কাৰণ, যাগ-যজ্ঞ-তীৰ্থ দান আদি সকলোবোৰ কাম সেই এক ভগৱানৰ পূজাৰেই বেলেগ বেলেগ নাম। সেই অনাদি, অনন্ত বিশ্বনিয়ন্তা ভগৱানৰ গুণ-কীৰ্ত্তনতকৈ ইমান কম সময়ৰ ভিতৰত অন্য পন্থা নাই। গতিকে ঋষিসকল তাতেই মান্তি হ'ল। কিন্তু এতিয়া ইমান দিন ধৰি ভাগৱত কৈ শুনাব কোনে? ব্যাসৰ পুত্ৰ শুকদেৱৰ বাহিৰে সমগ্ৰ ভাগৱত অন্য কাৰো কণ্ঠস্থ নাই। গতিকে সকলোৰে অনুৰোধ হ'ল শুকদেৱেই পৰীক্ষিতক ভাগৱত কৈ শুনাব ল'গে। শুকদেৱ মান্তি হ'ল।

এ-কৰাহে সদায় ভাগৱত পাঠ হবলৈ ধৰিলে। ৰজা পৰীক্ষিতে একান্ত মনে ছয় দিন ছয় নিশা ধৰি শুকৰ ওচৰত ভাগৱত শুনিলে। তেওঁ সকলো পাপৰপৰা মুক্ত হ'ল। সপ্তম দিন আহিল আৰু ঋষিৰ শাপ মতে সেইদিনা কেঁওক কালসৰ্প তক্ষকে আহি দংশন কৰিলে। ৰজাই ইষ্টদেৱতা ভগৱান কৃষ্ণক স্মৰি হাঁহি মুখে মৃত্যুবৰণ কৰিলে।

মুনি শুকদেৱে ৰজা পৰীক্ষিতক ব্যাস-বিৰচিত ভাগৱতৰ কথা শুনাইছিল কাৰণে ভাগৱতৰ যেই কোনো কাহিনী লিখিবলৈ হলে পুৰণি কৱিসকলে আৰম্ভ কৰিছিল -"শুক নিগদতি ৰাজা শুনা পৰীক্ষিত" বুলি, অৰ্থাৎ পূৰ্ব্বে শুকে পৰীক্ষিতক এই কথা কৈছিল বুলি।

দোষত দণ্ড, গুণত পূজা

(ভাগৱত)

স্বৰ্গ হল দেৱতাসকল থকা ঠাই। ইন্দ্ৰ তাৰেই ৰজা। এসময়ত ইন্দ্ৰই বৃত্ৰাসুৰ নামে দৈত্য এটাক বজ্ৰেৰে বধ কৰিছিল। বৃত্ৰাসুৰৰ কাহিনী শুনিলে আচৰিত হব লাগে। সি বৰ পৰাক্ৰমী আছিল, আৰু বলৰ দৰ্পত, দৈত্যই হওক বা দেৱতাই হওক, সকলোকে বৰ অত্যাচাৰ কৰিছিল। কিন্তু সাধাৰণতে তাৰ অত্যাচাৰ দেৱতাসকলৰ ওপৰতেই চলিছিল। কাৰণ দেৱতাসকল অসুৰবিলাকৰ জন্ম-শত্ৰু। বিনা অপৰাধতে কেতিয়াবা সি দেৱতাসকলক ধৰি আনি উগ্ৰ শাস্তি দিছিল।

তাৰ ভয়ত দেৱতাসকলৰ চকুত টোপনি নহা হ'ল। অৱশেষত তেওঁলোকে গৈ তেওঁলোকৰ আলৈ-আহুকালৰ কথা ভগৱান বিষ্ণুৰ ওচৰত নিবেদন কৰিলে। গোলোকেশ্বৰ বিষ্ণু তেতিয়া ধ্যানত মগ্ন আছিল। দেৱতাসকলৰ স্তুতি-নতিত তেওঁ সাৰ পালে আৰু ধ্যান-চকু মেলি চাই সকলো কথা জানিব পাৰি কলে—"হে অমৰবৃন্দ, বৃত্ৰাসুৰক বধ কৰিব পৰা অস্ত্ৰ আজিলৈকে নিৰ্ম্মাণ হোৱা নাই। দধীচি মুনিৰ অস্থি আনি বধ তাৰে যদি বজ্ৰ নামেৰে এবিধ অস্ত্ৰ তৈয়াৰ কৰিব পাৰা—তেনেহলে তাক কৰিব পাৰিবা, নহলে অন্য অস্ত্ৰ-শস্ত্ৰত তাৰ মৰণ নাই, সি অবধ্য। গতিকে তোমালোকে দধীচি ঋষিৰ ওচৰলৈ যোৱা।

বিষ্ণুৰ আদেশ মতে দেৱতাসকল দধীচি মুনিৰ ওচৰলৈ গ'ল। মুনিয়ে দেৱতাসকলক যথাবিহিত অভ্যৰ্থনা কৰিলে আৰু তেওঁলোকৰ আগমনৰ উদ্দেশ্য জানিব পাৰি তেওঁলোকৰ হিতৰ কাৰণে জীৱন উৎসৰ্গ কৰিবলৈ থিৰ কৰিলে।

দধীচিয়ে দেৱতাসকলৰ মঙ্গলৰ কাৰণে সমাধিস্থ হৈ প্ৰাণ এৰিলে। তেতিয়া দেৱতাসকলে তেওঁৰ অস্থি আনি বিশ্বকৰ্ম্মাক দিলে আৰু বিশ্বকৰ্ম্মায়ো অস্থি খণ্ডেৰে বজ্ৰ নিৰ্ম্মাণ কৰিলে। এই বজ্ৰ লৈ গৈ ইন্দ্ৰই এই-

বাৰ বৃত্ৰাসুৰৰ লগত যুঁজ পাতিলে আৰু সেই যুঁজত বৃত্ৰাসুৰ নিহত হ'ল।

বৃত্ৰাসুৰ যে পৰাক্ৰমীহে আছিল এনে নহয়; ধাৰ্ম্মিক আৰু জ্ঞানীও আছিল। অকল বৃত্ৰাসুৰেই নহয়, বলিকে আদি কৰি অনেক অসুৰ বৰ ধাৰ্ম্মিক আৰু জ্ঞানী আছিল। জন্মবপৰাই বিৰোধ থকা হেতুকে দেৱতা-সকলক ইবিলাকে অত্যাচাৰ কৰিছিল, তাত বিশেষ আচৰিত হবলগীয়া একো নাই। বৃত্ৰাসুৰেও হেনো জ্ঞান-বিজ্ঞানৰ চৰ্চ্চাত উত্তম ব্ৰাহ্মণকো চেৰ পেলাইছিল।

ইফালে আকৌ পূৰ্ব্বজন্মত বৃত্ৰাসুৰ সঁচাকৈয়ে এজন উগ্ৰতপা ঋষিয়ে আছিল। তেতিয়া তেওঁ এদিন হৰৰ কৈলাসলৈ গৈছিল! কৈলাসত সেই সময়ত হৰ-পাৰ্ব্বতীয়ে নানা প্ৰকাৰ খেলা খেলি আছিল। পিছে, মহাদেৱ-পাৰ্ব্বতীকো সাধাৰণ লোকৰ দৰে খেলি থকা দেখি ঋষি অলপ আচৰিত হ'ল। তেওঁৰ মনত স্বভাৱতে হৰ-গৌৰীৰ প্ৰতি অলপ অৱজ্ঞাৰ ভাব উপজিল। জন্মদাত্ৰী ভৱানীয়ে সেইটো বুজিব পাৰি—ঋষিক অসুৰ হৈ জন্মিবলৈ অভিশাপ দিলে। সেই কাৰণেই পৰজন্মত তেওঁ আহি বৃত্ৰাসুৰ নাম লৈ দৈত্যৰূপে জন্মগ্ৰহণ কৰিলে।

বৃত্ৰাসুৰ-বধৰ পিছত ব্ৰহ্মবধ কৰা বুলি ইন্দ্ৰৰ মনত ভয় সোমাল। সেই ভয়ে তেওঁক দুৰ্ব্বল কৰি তুলিলে। তেতিয়া তেওঁ স্বৰ্গৰ সিংহাসন পেলাই এৰি মানস সৰোবৰৰ মাজ থকা পদুমনি এখনত লুকাই থাকিলগৈ।

ইফালে স্বৰ্গত দেৱতাবিলাকৰ ৰজা নাইকিয়া হ'ল। অৰাজকতাত দেশৰ অৱস্থা বৰ খেলি-মেলি হৈ পৰিল। সেই দেখি সকলোৱে ইন্দ্ৰক বিচাৰি ফুৰিবলৈ ধৰিলে। বিচাৰি বিচাৰি হাইৰাণ হ'ল; গাঁও-ভুঁই, পৰ্ব্বত-প্ৰান্তৰ, হাবি-জঙ্গল সকলো ঠাই চলাথ কৰিলে—তথাপি ইন্দ্ৰ নোলাল।

শেষত হতাশ হৈ দেৱতাবিলাকে ভাবিলে, 'এনেকৈ আৰু কমান দিন বিচাৰিম্‌ইক! তাতকৈ অন্য এজনকে ৰজা পতা যাওক।' সকলোৱে এইদৰে ভাবি থাকি শেষত সেইমতে কাম কৰিবলৈ স্থিৰ কৰিলে।

কিন্তু ইন্দ্ৰৰ অবিহনে ৰজা হয় কোন?

সেই সময়ত পৃথিৱীত নহুষ নামেৰে এজন বৰ ধাৰ্ম্মিক আৰু গুণৱান

ৰজা আছিল। তেওঁৰ গুণ-গৰিমা, জ্ঞান-বুদ্ধি সাহস-পৰাক্ৰম আদিৰ কথা সেই সময়ত গোটেই বসুধাত বিয়পি পৰিছিল।

দেৱতাসকলৰ চকু ৰজা নহুষৰ ওপৰত পৰিল। তেওঁলোক পৃথিৱীলৈ নামি আহিল আৰু ৰজা হবলৈ নহুষক ধৰিলেহি। নহুষে বহুত ভাবি-চাই দেৱতাসকলৰ প্ৰস্তাৱ গ্ৰহণ কৰিলে; কাৰণ জ্ঞানীলোকে কয় যোলে সুযোগ হেনো বাঘদন্তুৰ দৰে খন্তেকীয়া আৰু ই জীৱনত এবাৰহে আহে। তাক আওহেলা কৰিলে মানুহ লক্ষ্মীছাড়া হয়। নহুষ স্বৰ্গৰ ৰজা হ'ল।

গুণৰ বলতেই মৰতৰ নৰ-মনিচ হৈয়ো ৰজা নহুষে স্বৰ্গৰ সিংহাসন লাভ কৰিলে। মানুহৰ কাৰণে ইয়াতকৈ আৰু মান-গৌৰৱৰ কথা একো হব নোৱাৰে। চন্দ্ৰ-দিবাকৰ থাকে মানে জগতত নহুষৰ নাম অমৰ হৈ থাকিব।

কিন্তু মান-গৌৰৱ, ঐশ্বৰ্য্য সম্পত্তি, ক্ষমতা-পটুতা আদিয়ে বহুত সময়ত মানুহৰ বিচাৰ-বুদ্ধি নাশ কৰে! নহুষৰো লাহে লাহে সেয়ে হৈ আহিল। তেওঁৰ নিৰ্ম্মল মনত অহঙ্কাৰ ব্যাধি প্ৰৱেশ কৰিলে। লাহে লাহে তেওঁ নিজৰ কৰ্ত্তব্য-জ্ঞান আৰু সাধনা পাহৰি যাবলৈ ধৰিলে। নিজৰ নিত্য-নৈমিত্তিক কাম নকৰা হ'ল; আমোদ-প্ৰমোদত দিন নিয়াবলৈ ধৰিলে। মুনি-মনোহাৰী যুৱতী অপ্সৰ-সকলৰ নাচ-গান আৰু নন্দন-কাননৰ অনুপম সৌন্দৰ্য্যত তেওঁ তেনেই মোহ গ'ল। ক্ৰমে ক্ৰমে তেওঁৰ হিতাহিত-জ্ঞান লোপ পাই আহিল আৰু বিচাৰ-বুদ্ধিতো কেৰোণ লাগিল।

কোনো এটা কুক্ষণত তেওঁ এদিন বেচিকৈ সুৰা-পান কৰি লৈ ভাবি-বলৈ ধৰিলে—তেত্ৰিচ কোটি দেৱতা আজি মোৰ আজ্ঞাবহ ভৃত্য। মই ইচ্ছা কৰিলে আজি পূবৰ সূৰ্য্যকো পশ্চিমত উদয় কৰাব পাৰোঁ: বায়ুৰ গতি বন্ধ কৰি দি চৰাচৰ জগতত প্ৰলয় ঘটাব পাৰোঁ। মোৰ মনৰ গতিত আজি কোনে বাধা দিব পাৰে!

সুৰাৰ জালত তেওঁ এনেকৈ ভাবি ভাবি ইন্দ্ৰৰ পত্নী শচীৰ ওচৰ পালেগৈ। শচী সেই সময়ত ইন্দ্ৰৰ বিৰহত কাতৰ হৈ ঘৰৰ এচুকত বহি চকু-লো টুকি আছিল। হঠাৎ দেৱৰাজ-নহুষক দেখি তেওঁ উঠি যথাবিহিত সন্মান জনালে আৰু বহিবলৈ আসন যাচিলে। দেৱৰাজ নহুষ বহিল। তেতিয়া শচীয়ে তেওঁক আগমনৰ উদ্দেশ্য সুধিলে।

আগতে কোৱা হৈছে যে সেই সময়ত সুৰাৰ বাগীত নহুষ আছিল তেনেই মতলীয়া। চকু জবাফুলৰ দৰে ৰঙা; মনত হিতাহিত বিবেচনা সমূলি নাই। ৰূপহী শচীক দেখিলে পোৱাত তেওঁৰ মুখৰ বান্ধ ছিঁগি গ'ল। তেওঁ ফৰলৈ ধৰিলে 'সুন্দৰী শচী, তোমাৰ ওচৰলৈ অহাৰ মোৰ আজি এটা বিশেষ উদ্দেশ্য আছে। তুমি জানা যে স্বৰ্গৰ সিংহাসন আজি মোৰ হাতত। কাজেই ইয়াৰ সকলো মূল্যবান বস্তুৰ গৰাকীও মই। এনেস্থলত তোমাৰ দৰে আটক-ধুনীয়া যুৱতী এগৰাকীক মই এনেকৈ কান্দি-কাটি মৰহি যাবলৈ দিব নোৱাৰোঁ। তুমি ইন্দ্ৰৰ অবিহনে মোকেই স্বামী বৰণ কৰা। মই আজি তোমাক সসন্মানে মোৰ ঘৰলৈ নিবলৈহে আহিছোঁ, তোমাৰ-কিবা আপত্তি থাকিব জানো ?

কথাখিনি কোৱা হ'লত নহুষ খন্তেকৰ কাৰণে স্তব্ধ হ'ল। ইফালে সুৰাৰ জালত তেওঁৰ হাত-ভৰি তেতিয়া থৰক-বৰক। তেওঁ শচীৰ মুখৰ অমৃত-বাণী শুনিবলৈ বৈ থাকিল।

পতিৰ বিৰহত কাতৰ হৈ থকা শচীয়ে নহুষৰ এনে অসৎ প্ৰস্তাৱ শুনি থং আৰু বেজাৰত একোনাই হ'ল। তেওঁ কলে —"মহাৰাজ, আপোনাৰ কথাৰ সমিধান মই আজি দিব নোৱাৰোঁ। সুধি-পুচি যেতিয়া দিব লাগে দিম।" এই বুলি কৈ চাত্‌ কৰে তেওঁ ওলাই গ'ল আৰু গুৰু বৃহস্পতিৰ ওচৰ পালেগৈ।

বৃহস্পতিয়ে দেখে—শচীৰ মূৰৰ চুলি আউল-জাউল: মুখত বেজাৰৰ ক'লা ৰেখা; চকুত চকু-লো। তেওঁ একো কৰলৈ নৌ পাওঁতেই শচীয়ে নহুষৰ ব্যৱহাৰৰ কথা কান্দি কান্দি গুৰুৰ আগত কলে আৰু তাৰ প্ৰতি-কাৰৰ উপায় বিচাৰিলে। গুৰু বৃহস্পতিয়ে ভাবি-চিন্তি কলে, "ঐশ্বৰ্য্য-বিভূতি পালে যাৰ এনেকৈ বিবেক নাইকিয়া হয় তাৰ উপযুক্ত শাস্তি ব্ৰহ্মশাপ। তুমি নিজে তাক শাস্তি দিব নালাগে, তাৰ নিজৰ শ্মশান-চিতা সি নিজে নিৰ্মাণ কৰিব, তুমি মাত্ৰ এটা কাম কৰিবা। পাৰও এইবাৰ যদি তোমাৰ ওচৰলৈ আকৌ আহে তেন্তে তাক কবা যে শুধ বামুণে কঢ়িওৱা দোলাত উঠি আহিলেহে তুমি তাক পতি বৰিব পাৰিবা। এনেবেহে হল কাঢ়িব লাগে।"

শচী যৰলৈ উত্তেজিত আৰু চিন্তা-ভাবনা আৰু কৌতূহলৰ মাজেৰি ৰাতিটো কটালে। ৰাতি পুৱালত গা-পা ধুই উঠিল। বাহিৰত বৰ্গা ব'ৰ গুলাল। তেওঁ ব'দ-কাঁচলি লৰলৈ বাহিৰলৈ ওলাই আহিল। পুৱাৰ হেঙুলী কিৰণ পৰি তেওঁৰ সোণবৰণীয়া লাৱণ্যময় শৰীৰ টল-বলাই উঠিল। ফুলনি সোমাই দূৰলৈ চাই পঠিয়ালত তেওঁ দেখিবলৈ পালে—দূৰত নহুষ আহিব লাগিছে। ছলনাৰ কৌতূহলে তেওঁৰ মনত বিজুলীৰ দৰে খেলি গ'ল। গুৰুৰ উপদেশৰ কথা ভাবি তৃপ্তিত তেওঁৰ মুখ উজ্জ্বল হ'ল! নহুষ ওচৰ চাপি অহাত এটা তুষ্ট ছলাহী হাঁহিৰে তেওঁ দেৱৰাজক অভ্যৰ্থনা জনালে।

শচীৰ ওন্দোলোৱা মুখত আনন্দৰ হাঁহি দেখি অ'জি ৰজা নহুষ যেন সুখৰ সপ্তম স্বৰ্গত উঠিল। তেওঁৰ মনত আশ'ই বিজুলিয়াৰলৈ ধৰিলে। একো কবলৈ নৌপাওঁতেই শচীয়ে কলে, "মহাৰাজ, সকলো ঠিক হৈ আছে। পলম নকৰি আপুনি মাত্ৰ দৰাৰ দৰে সাজি-কাচি আহিলেই হয়; কিন্তু আহোঁতে আহিব ল'গিব বছা-বছা বামুণে কঢ়িওৱা সুশোভন চৌদোলাত আৰোহণ কৰি। কিয়নো জ্ঞানীলোকসকলে কয় যোলে পুণ্য কাম পৰিত্ৰভাৱেহে কৰিব লাগে।"

কামান্ধ নহুষ ৰজাই শচীৰ কথাৰ গূঢ় অৰ্থ বুজিব নোৱাৰিলে। তেওঁ ততালিকে ধূৰি গৈ শচীয়ে কোৱামতে সাজন-কাচন কৰিবলৈ খৰ-ধৰ লগালে। ইফালে তেওঁৰ আদেশ মতে অগস্ত্যকে প্ৰমুখ্য কৰি অনচেবেক বিখ্যাত ঋষিক ততালিকে মতাই অনা হ'ল। ঋষি-সকলক দেখি ৰজাৰ মুখ দুগুণে উজ্জ্বল হৈ উঠিল। তেওঁ সাজি-কাচি গৈ অবিলম্বে দোলাত বহিল আৰু সমাগত ঋষিসকলক কলে—"হে পবিত্ৰ ব্ৰাহ্মণসকল, বিলম্ব কৰিবলৈ মোৰ আজি এক মুহূৰ্ত্তও সময় নাই। মহেন্দ্ৰ-কণ উকলি যাব! আপোনালোকে মোক কঢ়িয়াই নি বাসৱ-পত্নী শচীৰ ঘৰত থৈ আহিব লাগে। ইয়াত আপোনালোকৰ কোনো ওজৰ-আপত্তি মই শুনো। আহক, পলম হলে বিপদ আছে। ই মোৰ অনুৰোধ নহয়—আদেশ।"

ঋষিসকলৰ কাৰণে এই আদেশ বিনামেঘে বজ্ৰপাত হ'ল। কাৰণ, এই কামৰ কাৰণে তেওঁলোক সমূলি প্ৰস্তুত নাছিল। ৰজাৰ নিমন্ত্ৰণ পাই পোনতে তেওঁলোকে কিবা যাগ-যজ্ঞৰ কাৰণে মতা বুলিহে ভাবিছিল।

এতিয়া বিপৰীত আদেশ শুনি তেওঁলোকৰ ভিতৰি মিট্‌মিট্‌ কৰে খং উঠিল। কিন্তু খং উঠিলে কি হ'ব? কথাতে কয় বোলে—ৰজাৰ দণ্ডিত বনত বাস, ভিৰোভাৰ দণ্ডিত পইতাভ গ্ৰাস। গতিকে অগত্যা ৰজাক কঢ়িয়াবলৈয়ে তেওঁলোক আগ বাঢ়িল!

এনেয়ে উপবাসে-অনাহাৰে শুকাই-খীণাই থকা ঋষি, তাতে কোনো কালে কেতিয়াও দোলা কঢ়িওৱা অভ্যাস নাই। গতিকে হেঁকেৰ-পেকেৰকৈ খোজৰ মূৰক্ত খোজ দি যাবলৈ ধৰিলে।

ইফালে ৰজা নহুষে মগ্ন আয়মেৰে দোলাত বহি লৈ ভাবিছে, 'ঋষি-সকলে বেগাই খোজ নিদিয়ে কিয়?' পাৰিলে জানো তেওঁ মুহূৰ্ত্তৰ ভিতৰতে শচীৰ ওচৰ পাবগৈ, এনে ভাব। গতিকে বেগাই যাবলৈ ঋষিসকলক তেওঁ নানা কটু বচন বুলিবলৈ ধৰিলে। মাজে মাজে দাবী-দি-ও চালে। কিন্তু সকলো বিফল হ'ল। খোজৰ কোনো পৰিবৰ্ত্তন নাই! যেই আক সেই।

অৱশেষত ৰজা অধৈৰ্য্য হৈ পৰিল। গালি-শপনি, দাবী-ধমকী, একোৱে গুণ নিদিয়া দেখি তেওঁ এইবাৰ খঙেৰে দোলাৰ পৰাই বৃদ্ধ ঋষি অগস্ত্যৰ গাত লাঠি মাৰি দিলে। দুৰ্ব্বল ঋষি হামখুৰি খাই দুৰত পৰিলগৈ।

কিন্তু ই কি আচৰিত কথা! ধৰা-শায়ী ঋষিৰ চকুৰেদি ভমক্-ভমক্ কৰে জুই ওলাবলৈ ধৰিলে। খন্তেকতে তেওঁ যেন কালান্তক যমহে হৈ উঠিল। নেগুৰত গচকা ফেঁটী সাপৰ দৰে পৰা ঠাইৰপৰা উঠি তেওঁ কবলৈ ধৰিলে, "অবিবেকী নৰাধম, তোৰ ইমান সাহস, ইমান অহঙ্কাৰ। বামুণক তই ইমান অপমান কৰ! ইয়াৰ ফল-স্বৰূপ মই তোক এতিয়াই শাপি ভস্ম কৰিব পাৰোঁ। কিন্তু তাত তোৰ সমুচিত শাস্তি নহব। মোৰ এই অভিশাপ—তই এতিয়াই বুকুৰে চোঁচৰি ফুৰা বদাকাৰ সাপ হৈ স্বৰ্গৰপৰা বাগৰি পৰ।

অগস্ত্যৰ অভিশাপ মুখৰপৰা ওলোৱাৰ লগে লগেই ৰজা নহুষ এটা প্ৰকাণ্ড সাপত পৰিণত হ'ল আৰু মুহূৰ্ত্তৰ ভিতৰতে ধুমকেতু পৰাৰ দৰে স্বৰ্গৰপৰা বাগৰি পৰিল।

নহুষে অহঙ্কাৰৰ পৰিণাম হাতে হাতে পালে। ইফালে স্বৰ্গৰ প্ৰজাৰ

দুখ-দুৰ্গতিৰ খবৰ, লাহে লাহে গৈ, লুকাই-থকা ইন্দ্ৰৰ কাণত পৰিল। তেতিয়া তেওঁ আৰু লুকাই থাকিব নোৱাৰিলে ; সবোৰৰপৰা ওলাই আহিল — গুৰু বৃহস্পতিৰ উপদেশ মতে অশ্বমেধ যজ্ঞ কৰি ব্ৰহ্মহত্যা পাপৰপৰা মুক্তি লভিলে। স্বৰ্গৰ সিংহাসন আকৌ দেৱৰাজ ইন্দ্ৰৰ হাতলৈ আহিল আৰু দেৱতাসকলেও পুনৰ হেৰোৱা শান্তি ঘূৰাই পালে। গুৰু বৃহস্পতিৰ উপদেশ মতে কাম কৰি সতী শচীয়ে পুনঃ ইন্দ্ৰক পাই সুখেৰে কাল কটালে। ইয়াকেই কয় — দোষত দণ্ড, গুণত পূজা।

সুকন্যা সুন্দৰী আৰু চ্যৱন মুনিৰ উপাখ্যান

(ভাগৱত)

তেতিয়া মহাৰাজ শৰ্য্যাতিৰ নাম মানুহৰ মুখে মুখে। দান-পুণ্যত শৰ্য্যাতি ; বল-বিক্ৰমত শৰ্য্যাতি ; দিগ্ বিজয়ত শৰ্য্যাতি ; যাগ-যজ্ঞত শৰ্য্যাতি ; ন্যায় বিচাৰত শৰ্য্যাতি। নাই নাই বুলিও তেওঁৰ নাম মানুহে দিনটোত পাঁচবাৰ লবই।

শৰ্য্যাতি ৰজাৰ একেজনী ছোৱালী আছিল, নাম সুকন্যা ; সুকন্যা নে ঠিক সুকন্যায়ে। নামে-কামে সুকন্যা! নাক-মুখ, গঢ়-গতিকে কি চাবা। যেন কোনো নিপুণ চিত্ৰকৰৰ চিত্ৰশিল্পৰ শ্ৰেষ্ঠ অৱদানহে! যেন কোনোবা খনিকৰে জীৱন পাত কৰি বিনাশী কালৰ বুকুত চিন থৈ যাবলৈ গঢ়ি তোলা এখনি প্ৰতিমাহে! ৰূপত যেনে ৰূপহী গুণতো তেনে সৰবৰহী। ৰজাৰ ছোৱালী বুলি ধনিষ্ঠামানো অহঙ্কাৰ নাই। দুখী-সুখী সবাৰে লগত সমান ব্যৱহাৰ। লগৰীয়া-সমনীয়াৰ প্ৰতি পমিযোৱা মৰম, গুৰুজনৰ প্ৰতি অসীম ভক্তি।

এদিন শৰ্য্যাতি ৰজা মৃগয়ালৈ ওলাল ; লগতে ওলাল জীয়েক সুকন্যা। জীয়েকক যাবলৈ অনুমতি দিবনে নিদিব তাকে লৈ ৰজা তেতিয়া মহা চিন্তাত পৰিল। যাবলৈ দিলে তেওঁৰ একেটি ৰত্নৰ জানোচা কৰবাত কিবা বিঘিনি হয়—এয়ে ভয়! ইফালে জীয়েকৰ মনত কষ্ট দিয়লৈও তেওঁৰ একোপধ্যে সত নাযায়। এইদৰে বহুত সময় গুণি-গাঁথি থকাৰ পিছত জীয়েকৰেই জয় হ'ল। ৰজাই অনিচ্ছা সত্ত্বেও অনুমতি দিলে। সাজি-কাচি শুভ মুহূৰ্ত্তত সকলোৱে যাত্ৰা কৰিলে।

হাবিৰ মাজত মৃগয়া কৰি সকলো গৈ আছে। সুকন্যা আৰু তেওঁৰ সখীয়েকসকল বহিছে এখন সুসজ্জিত সৰু ৰথৰ ওপৰত। তাৰ চাৰিওফালে গা-ৰখীয়া সেনা। খোৱা-পিয়াৰ সকলো সম্ভাৰ ৰথৰ ওপৰতে সজাই থোৱা আছে।

হাবিত সিংহ, বাঘ, পহু আদি অনেক জন্তু বধ কৰা হ'ল। ৰাজকন্যা-ইতৰ মনত ৰং দিবৰ কাৰণে কোনো কোনোৱে চিকাৰত কিছুমান জন্তু জীয়াই জীয়াই ধৰি আনিলে। এইবোৰ দেখি সুকন্যা আৰু তেওঁৰ সখী-য়েকইতৰ মনত যে কিমান আনন্দ! হাঁহি-খিকিন্দালিৰ কুমৰ্ধ্বনীত একো একোবাৰ হাবি-বন তেনেই থলক লাগি যায়।

এইদৰে সমদলে গৈ গৈ সকলোৱে এখন আশ্ৰম পালে। তাত জীৱ-জন্তুবোৰে মুকলিমূৰীয়াভাৱে ৰঙেৰে চৰি ফুৰিছে। বাঘে-ছাগে একেটা ঘাটতে একেলগে পানী খাইছে, তথাপি কাকো কেৰে একো অপকাৰ কৰা নাই। কাৰো প্ৰতি কাৰো যেন লেশমাত্ৰও খিয়াল নাই। চাৰিওফালে যেন কিবা এক বিৰাট শান্তি বিৰাজ কৰিছে।

ৰজাই অলপ বুবি-গমি চাই জানিব পাৰিলে যে সেইখন চ্যৱন মুনিৰ আশ্ৰম! তেওঁ তেতিয়া ততালিকে মৃগয়া বন্ধ কৰি আশ্ৰমৰপৰা বাহিৰ হ'ল। ৰ'ল কেৱল ৰাজ-কুমাৰী আৰু তেওঁৰ সখীয়েকসকলৰ ৰথখন।

ফলে-ফুলে ৰমক-জমক আশ্ৰমৰ মনোৰাভিৰাম দৃশ্যই খন্তেকতে তেওঁলোকৰ মন-প্ৰাণ তেনেই মুহি পেলালে। মুহিবৰ কথায়ে; কাৰণ এনেকুৱা বিতোপন দৃশ্য আগতে তেওঁলোকে কোনো দিন ক'তো দেখা নাছিল। কোনোজোপা গছত, পাত বুলিবলৈ যেন এটিও নাই; ফুলেই ডাল-পাত সকলো ঢাকি থৈছে। গোটেইখন ঠাই তেনেই জকমকাই আছে। তাৰে একো একো

জোপা গছ আকৌ ফলৰ ভৰত দোঁ-খাই আছে, অলপ বতাহ লাগিলেই সি যেন উভালি পৰিব। গছৰ ডালত হৰেকৰকমৰ চৰায়ে ৰহি মনৰ উলাহত গীত গাব লাগিছে। চৰাইৰ গীত আৰু মৌমাখিৰ গুণগুণনিত আশ্ৰম যদিও মুখৰিত, তথাপি সেই কোলাহলত যেন বিশৃঙ্খলা অকণো নাই। শান্তিময়ভাৱে, শৃঙ্খলবদ্ধভাৱে সকলো চলিব লাগিছে। তলত ইফালে কুঞ্জবোৰৰ আঁৰে আঁৰে ৰঙিয়াল হৰিণ-পোৱালিবোৰে লৰি-ঢাপৰি জপিয়াই ফুৰিছে। কোনো ঠাইত ম'ৰাচৰাইবোৰে জাকেজাকে ছালি ধৰি নাচিব লাগিছে। দেখিলে এনে অনুমান হয় যেন ময়ূৰ নহয়, সেইবোৰ মাণিক মুকুতাহে—মনৰ উলাহত জিলমিলাই নাচি ফুৰিছে। ফুলৰ কুঞ্জবোৰৰ মাজে মাজে অকাই-পকাই জিৰ্‌জিৰকৈ বৈ গৈছে অলেখ নিজৰা। ঠায়ে ঠায়ে পুখুৰী। পুখুৰীবোৰত বগা-বগা বৰণৰ অসংখ্য পদুম, আৰু সেই পদুমবোৰৰ আঁৰত হাঁহ, চাকৈ-চকোৱা, ডাউক আদি চৰাইবোৰ সাঁতুৰি-নাদুৰি ফুৰিছে। তাকে দেখি আৰু কিছুপৰ বৈ এইবোৰ দৃশ্য হেপাহ পলুৱাই চাবলৈ তেওঁ-লোকৰ বৰ মন গ'ল। সাৰথিক ৰথ ৰাখিবলৈ কৈ তেওঁলোকে কুঞ্জবোৰৰ মাজে মাজে ঘূৰি ফুৰিবলৈ ধৰিলে।

ফুৰি থাকোতে তেওঁলোকে এঠাইত এটা উঁইৰ হাফলু দেখিলে। হৰেক ৰকমৰ গছ-লতাই তাক চাৰিওফালে আগুৰি আছে। তেওঁলোক গৈ গৈ তাৰ নিচেই ওচৰ পালেগৈ। উঁইৰ হাফলুটোৰফালে ভালকৈ চাই পঠোৱাত এটা আচৰিত বস্তু তেওঁলোকৰ চকুত পৰিল। উঁই-হাফলুটোৰ মাটিবোৰত কিবা জিল্‌মিলীয়া পদাৰ্থ এটি যেন জিলিকি আছে! সাইলাখ বিজুলী-বাত্তিৰ দৰে উজ্জ্বল। ভালকৈ মনি চাই দেখে বস্তু এটা নহয়, দুটা। কিবা বহুমূলীয়া পাথৰৰ দুটা ঘূৰণীয়া মণি! গাত ব'দ পৰাত মণি দুটা তিৰ্‌বিৰ্‌কৈ জলি উঠিছে।

উঁই-হাফলুৰ বুকুৰপৰা মণি দুটা খুচৰি উলিয়াই চাবলৈ ৰাজকুমাৰীজনীৰ কৌতূহল জন্মিল। জন্মিবৰ কথাও; কাৰণ উঁই-হাফলুত নো মূল্যবান মণি কেনেকৈ সোমাই থাকিব! সুকন্যাই সেইবাবে খুচৰি চাবলৈ সখীয়েকহঁতক ই-সি কিবা এডাল আনিবলৈ কলে। সকলোৱে ইফালে-সিফালে চাই আৰু একো নাপাই ওচৰৰ জোপোহা এটাৰপৰা দীঘল কাইট কেইটামান ভাঙি আনিলে। ৰাজকন্যাই নিজে কাইটেৰে মণিৰ ভৰিত খুঁচি দিলে। কিন্তু

কি আচৰিত কথা, খুঁচি দিয়া মাত্ৰকে মণিৰ গুবিৰপৰা ধাৰাসাৰে তেজ ওলাবলৈ ধৰিলে। ঘটনা দেখি ৰাজকুমাৰীইত তেনেই হতভম্ব হ'ল। সকলোটি ঠঠমঠ্ খাই থিয় হৈ থাকিল; এখোজো লৰচৰ কৰিব নোৱাৰিলে। ভয়ত তেওঁলোকৰ গা কঁপি উঠিল।

এই খবৰ গৈ ৰজা শৰ্য্যাতিৰ কাণত পৰিল। তেওঁ মন্ত্ৰীসকলক লগত লৈ ঘটনাৰ থললৈ শীঘ্ৰে আহিল। আহি দেখে যে যি শুনিছিল সকলো সঁচা। তত্তালিকে তেওঁ তেজ ওলাই থকা ঠাই-ডোখৰত নিজ হাতৰ বুঢ়া আঙুলিৰে হেঁচা মাৰি ধৰিলে। তেজ বন্ধ হ'ল। আচৰিত কথা এই যে মুহূৰ্ত্তৰ ভিতৰতে উঁইৰ হাঁফলুটোৰ ভিতৰৰপৰা মানুহ এজন ওলাই আহিল। তেওঁৰ গোটেই গাটো মাটিৰে ঢকা। চকুৰ কোণৰ পৰা বোৱানলে তেজ ৰব লাগিছে। ৰজাই দেখি চিনিব পাৰিলে যে সেইজন চ্যৱন মুনি। ধ্যানত মগ্ন থাকোঁতে তেওঁক কেতিয়া উঁয়ে মাটিৰে ঢাকি পেলালে তাক তেওঁ কবই নোৱাৰিলে। মাটিৰে গোটেই গা ঢাক খোৱাত চকু দুটা মাত্ৰ অৱশেষ আছিল, আৰু সেয়ে মুকুতা জিলিকাৰ দৰে জিলিকি আছিল।

ঋষি-অভিশাপৰ ভয়ত ৰজা কঁপিবলৈ ধৰিলে। তেওঁ তৎক্ষণাৎ মুনিৰ চৰণ-যুগলত ধৰি সেৱা কৰিলে আৰু জীয়েকৰ অপৰাধৰ কাৰণে ক্ষমা খুজিলে। ৰজাৰ কাকুতি-মিনতিত ঋষি সন্তুষ্ট হ'ল আৰু কলে, "মহাৰাজ, মোৰ তপ-ভঙ্গ হোৱা নাই। তুমি সেইবাবে চিন্তা নকৰিবা। মোৰ যোগৰ ঠিক অন্ত হওঁতেই তোমালোকে মোক জগাই দিলাহি। মোৰ আজি তপস্যা শেষ হৈছে। কৰুণাময়ৰ কৃপাত মই এতিয়া মৰণৰ হাত সাৰিছোঁ। ইমান দিনৰ তপস্যাৰ অন্তত কিন্তু মোৰ মনত আজি এটি মাত্ৰ পাৰ্থিব বাসনা জাগিছে। তুমি ইচ্ছা কৰিলে তাক পূৰ কৰিব পাৰা; নহলে সি পানীৰ বুৰবুৰণিৰ দৰে মনত উপজি পুনঃ মনতেই মাৰ যাব। কোৱা মহাৰাজ, মোৰ অভিলাষ পূৰ্ণ কৰিবলৈ প্ৰস্তুত নে?"

ঋষিৰ অভিশাপৰপৰা কোনোমতে পৰিত্ৰাণ পোৱা যেন অনুমান কৰি ৰজাই টপৰাই কলে, "কওক ঋষিৰাজ, কি কৰিব লাগে কওক। প্ৰাণ দি হলেও আপোনাৰ মনোবাঞ্ছা পূৰ্ণ কৰিম।"

ঋষিয়ে তেতিয়া কবলৈ ধৰিলে—"মই এইটো ভালকৈ উপলব্ধি কৰিছোঁ যে ভোগ নহলে ত্যাগৰ কোনো অৰ্থ নাই। বাস্তিৰ অহঙ্কাৰ নাথাকিলে

দিনৰ পোহৰ নিৰৰ্থক। ভগৱানত মন-প্ৰাণ সঁপি দি মই ত্যাগৰ বিমল সুখ পালোঁ। কিন্তু ভোগৰ অবিহনে যেন সেই সুখ সম্পূৰ্ণ হোৱা নাই এনে অনুমান হৈছে। সেই হেতুকে ভোগৰ কাৰণে মোৰ মনত এটা অদম্য বাসনা জাগি উঠিছে। সংসাৰ ভোগৰ ঠাই। গৃহস্থই ভোগী। গতিকে সংসাৰ পাতি, গাৰ্হস্থ্য-ধৰ্ম্ম আচৰণৰ দ্বাৰা মই ভোগৰ তৃপ্তি লভিব খুজিছোঁ। সেইবাবে তুমি তোমাৰ মৰমৰ দুহিতা সুকন্যাক মোত সমৰ্পণ কৰা; তোমাৰ পুণ্য হব।"

কথা শুনি ৰজা হতভম্ব হ'ল। তেওঁৰ মুখৰ মাত হৰিল। ভৰিৰ-তলৰপৰা পৃথিৱীখন যেন আঁতৰিহে গ'ল। চকুৰে ধোঁৱা-কোৱা দেখিবলৈ ধৰিলে। কোন কুক্ষণত তেওঁ মৃগয়ালৈ ওলাইছিল তাকে ভাবি তেওঁ নিজৰ মনতে ধিক্কাৰ দিবলৈ ধৰিলে।

ৰজাৰ এই বিষম অৱস্থা দেখি সুকন্যাই নিজৰ কৰ্ত্তব্য নিৰ্দ্ধাৰণ কৰিলে। তেওঁ ৰজাৰ চৰণত দণ্ডৱতে প্ৰণাম জনাই কলে, "পিতা, আপুনি বিমোৰত পৰিছে কিয়? ইমান জ্ঞানী আৰু ধাৰ্ম্মিক ৰজা হৈ এই ক্ষুদ্ৰ সমস্যাটো সমাধান কৰিবলৈ অপাৰগ হৈছে কিয়? আপুনি যেনেকৈ কৰ্ম-জগতৰ ৰজা, ঋষিও তেনেকৈ ধৰ্ম্ম-জগতৰ গুৰু বা ৰজা। কৰ্ম্ম-জগতৰ ৰজালৈ নিদি আপুনি আপোনাৰ কন্যাক ধৰ্ম্ম-জগতৰ ৰজালৈয়ে দিলে বা, তাত আপোনাৰ অগৌৰৱ অকণো নহয়। প্ৰতিজ্ঞা-পালন নকৰি ধৰ্ম্মৰপৰা বিচলিত নহব, পিতা! ধৰ্ম্মতকৈ ডাঙৰ বস্তু জগতত নাই।"

সাদৰী জীয়েকৰ এনে জ্ঞান-গৰ্ভ কথা ৰজাৰ যেন জ্ঞান-চকু মেল খালে। এনে কথাৰপৰা জীয়েকৰো মতামত কিছু বুজিব পাৰি তেওঁ যেন ৰক্ষা পৰিল। বহুত যত্নেৰে অন্তৰৰ মোহ-মমতা জয় কৰি জীয়েক সুকন্যাক তেওঁ ঋষিৰ লগত মহা সমাৰোহেৰে বিয়া দিলে।

বিয়াৰ যৌতুকত ৰজাই ঋষি আৰু সুকন্যাক ৰাজ্যৰ সমানে আধা তেনেই দি দিলে। হাতী-ঘোঁৰা, লগুৱা-লিকচৌ, বন্দী-বেটি আদিৰোৰ যেতিয়া গৈ ঋষিৰ আশ্ৰম সোমাল তেতিয়া আশ্ৰম আৰু আশ্ৰম হৈ নাথাকিল। সি এখন ৰাজ-নগৰত পৰিণত হ'ল।

ঋষি কিন্তু আগৰ ঋষিয়েই থাকিল। সাজ-পাৰ সলাবলৈ যত্ন কৰিলেইবা, গাৰ সোটোৰা পৰা ছালবোৰৰ অৱস্থা কি হ'ব? কোঁচিকলীয়া বুঢ়া আম-

গছে বিতোপন মাধৱী লতাক আশ্ৰয় দিয়াৰ দৰে বুঢ়া চ্যৱন মুনিয়েও তৰুণী সুকন্যাক আশ্ৰয় দিলে; ঋষিযে সংসাৰত সোমাই তৰুণী ভাৰ্য্যাৰ মন যোগোৱাত লাগি গ'ল। আগৰ তপ-যপ, যোগ-সাধনা সকলোবোৰ এৰিতিয়া সুকন্যাৰ প্ৰীতি-সাধনে অধিকাৰ কৰি পেলালে। এনেকৈয়ে দিনবোৰ কাটি যাবলৈ ধৰিলে।

এদিনৰ কথা। তেতিয়া গৰমৰ দিন। ঋষিয়ে আশ্ৰমৰ গছ এজোপাৰ তলত বহি জিৰণি লৈ আছিল। ওচৰত তেওঁৰ আদৰৰ জায়া সুকন্যা। ঋষিয়ে পত্নীৰ মনত ৰং লগাবৰ কাৰণে বিবিধ খুহুতীয়া কথা কৈছিল যদিও, মনে মনে তেওঁ একোবাৰ ভাবিছিল—যদি কিবা উপায়ে যৌৱন ঘূৰাই পোৱা গ'লহেঁতেন, তেন্তে সুকন্যা কিমান সুখী হ'লহেঁতেন!

স্বৰ্গত সেই সময়ত অশ্বিনীকুমাৰ নামে দুজন বিখ্যাত বৈদ্য আছিল। দেৱতাসকলৰ কিবা অসুখ-বিসুখ হলে, এওঁলোকে চিকিৎসা কৰে। মৰাকো জীয়াব পৰা শক্তি এওঁলোকৰ আছিল। বেজ কাৰণে দুয়োৰে কাষলতিৰ তলত ঔষধৰ জোলোঙা এখোপন দেখিবলৈ পোৱা গৈছিল। কিন্তু দেখাত হলে দুয়োজন ঠিক একে আকৃতিৰ—যেন কুৰি-পঁচিশ-বছৰীয়া তেজগোৰা ধুনীয়া যুৱক দুজনহে। এওঁলোকৰ জন্মকাহিনীও বৰ ৰহস্যজনক। এওঁলোক সূৰ্য্যদেৱতাৰ যঁজা (যমজ) পুত্ৰ। সূৰ্য্যদেৱতাৰ ভাৰ্য্যা সংজ্ঞাই যেতিয়া সূৰ্য্য-দেৱতাৰ তেজ সহিব নোৱাৰি অশ্বিনী বা মাইকী ঘোঁৰাৰ ৰূপ ধৰি পলাই ফুৰিছিল তেতিয়া তেওঁ সগৰ্ভা আছিল। পিছত যথাসময়ত উত্তৰ কুৰু দেশত এই ৰূপৱান কুমাৰ দুজনৰ জন্ম হয়। অশ্বিনীৰূপী মাতৃৰ গৰ্ভত জন্ম হেতুকে এওঁলোকৰ নাম হ'ল অশ্বিনীকুমাৰ। একেই সূৰ্য্যৰ কুমাৰ, তাতে নিজৰ হাতত সকলো ঔষধ পাতি; সাতে সতৰে এওঁলোক চিৰযৌৱন-সম্পন্ন চকল ডেকা হৈ থাকিল।

দুখৰ কথা এয়ে আছিল যে দেৱতাসকলে নিজৰ দুখৰ সময়তহে অশ্বিনী-কুমাৰ দুজনক বিচাৰিছিল, সুখৰ সময়ত হলে কোনেও এওঁলোকৰ খা-খবৰ নলৈছিল। খবিয়াল কৰি চুৰা দেৱতাবিলাকৰ যেতিয়া আনৰ লগত যুঁজ-বাগৰ হয় তেতিয়া বেচাৰা অশ্বিনীকুমাৰ দুজনৰ দিন, ৰাতিৰ ছেদ-ভেদ নোহোৱা হৈ পৰে। খোৱা-পিন্ধাৰ পাছ এৰি টলৌ-টলৌকে ঘূৰি দেৱতা-বিলাকক তেওঁলোকে চিকিৎসা কৰিব লাগে। অথচ কেতিয়াবা ক'ৰবাত

যজ্ঞ-তজ্ঞ হলে দেৱতাবোৰে যেতিয়া হোমৰ ঘিউ, সোমৰস আদি পেট পুৰাই খাবলৈ পায় তেতিয়া অশ্বিনীকুমাৰ দুজনৰ কথা হলে কোনেও অকণো নাভাবে। সেইবোৰ ভাল বস্তুত অশ্বিনীকুমাৰ দুজনাৰ ভাগ নাই। কোনেও ভুলতেও বেচাৰাহঁতক সোমৰস এটোপা পেলাই-হেলাই নিদিয়ে।

এই দুর্ভগীয়া অশ্বিনীকুমাৰ দুজনে সেইদিনা ভাবিলে—'এয়ে সুবৰ্ণ সুযোগ। ভৃগুৰ পুত্ৰ চ্যৱন মুনিক তুষ্ট কৰিব পাৰিলে নিশ্চয় যজ্ঞৰ ভাগ পোৱা যাব। বলে নোৱৰা কাম বোলে ছলেৰেহে কৰিব লাগে। জ্ঞানীসকলে কৈ থৈছে বোলে "সন্ধিৰ বাঁহ বুদ্ধিৰেহে কাটিব পাৰি।" ইয়াকে ভাবি দুয়ো স্বৰ্গৰপৰা সোঁ সোঁ কৰে নামি চ্যৱন মুনিৰ আশ্ৰম পালেহি।

বুঢ়া ঋষিৰ কাষত বহি থকাত সুকন্যাক তেতিয়া ডাৱৰীয়া আকাশৰ জোনটো যেন দেখা গৈছিল। এনে সময়তে অশ্বিনীকুমাৰ দুজনে গৈ ঋষিক প্ৰণাম জনালে। ঋষিয়ে যোগৰ বলত তৎক্ষণাৎ তেওঁলোকৰ মনৰ ভাব বুজিব পাৰি কলে—"তোমালোকক যজ্ঞৰ ভাগ দিম, তোমালোকে কিন্তু মোক তাৰ সলনি তোমালোকৰ দৰে এজন উঠি-অহা তেজী যুৱক বনাই দিব লগিব।" কোৱা বাহুল্য সেই সময়ত অশ্বিনীকুমাৰ দুজনক বহিবলৈ আসন দি সুকন্যা কাষতবি আছিল।

অশ্বিনীকুমাৰ দুয়ো তৎক্ষণাৎ ঋষিৰ কথাত মান্তি হ'ল। তেওঁলোকে অবি-লম্বেই সেই কাম কৰি দিব বুলি গাত ললে। তেতিয়া সুকন্যাকে আদি কৰি চাৰিওজনাই নানা কথন মথন কৰি আশ্ৰমৰ এমূৰে থকা এটা সৰোবৰলৈ গ'ল। তাত দুই অশ্বিনীকুমাৰ আৰু চ্যৱন মুনিয়ে সৰোবৰৰ শীতল জলত স্নান কৰিলে। সুকন্যাই পাৰত থিয় হৈ চাই থাকিল।

স্নান শেষ হ'লত পানীৰপৰা তিনিও উঠি আহিল। সুকন্যাই দেখে যে তেওঁৰ স্বামী চ্যৱন মুনি তাত নাই; সমান ৰূপ-লাৱণ্যপূৰ্ণ তিনিজন অশ্বিনীকুমাৰেহে কথা পাতি আছে। তিনিওৰে বৰণ কেঁচা হালধিৰ গাঁঠিৰ দৰে উজ্জল; তিনিও ৰূপত আনিন্দ্য সুন্দৰ। পতি চ্যৱন মুনিক নেদেখি সুকন্যাই আতুৰভাবে ইফালে-সিফালে চাবলৈ ধৰিলে। দেৱতাৰ মায়া একো বুজিব নোৱাৰি তেওঁ মহা সমস্যাত পৰিল।

তাকে দেখি এজন অশ্বিনীকুমাৰে কৌতুহলৰ ৰহস্যপূৰ্ণ হাহি এটি মাৰি মধুৰ কথাৰে সুকন্যাক কলে, সুন্দৰী সুকন্যা, তোমাৰ স্বামী বুঢ়া চ্যৱন

ঋষিক তুমি আৰু নোপোৱা। তেওঁৰ আশা এৰি পেলোৱা। মানুহে যিদৰে জীৰ্ণ বস্ত্ৰ পৰিহাৰ কৰি নৱবস্ত্ৰ পৰিধান কৰে সেইদৰে বুঢ়ালোককো আমি বং-মনে বিদায় দিব লাগে। গতিকে তেওঁৰ বিষয়ে চিন্তা এৰি পেলোৱা। তেওঁৰ দৰে বুঢ়া ঋষি এজনেৰে বাৰু কি হয়? ছাল শোটোৰা-শোটোৰ, শৰীৰ দুৰ্ব্বল, ইন্দ্ৰিয় অৱশ, এনে এজন ঋষি তোমাৰ ৰূপ-যৌৱনৰ কোনো-মতে যোগ্য নহয়। তেওঁৰ চেহেৰাৰ কথা ভাবিলেও হাঁহিহে উঠে। মূৰৰ জটা কুঁহিয়াৰৰ শুকান পাতৰ দৰে; ডাড়ি গোফ যেন বতাহত উৰি থকা কহুৱাৰহে ফুল। ভৰিকেই বা কি চাবা! ছিৰাল ফটাদি ফাটি থকা ভৰি দুখন, তাতো আকৌ কাঠৰ পাদুকা এযোৰ। গাত সাত পাচি গেথা-মলি! তাৰে ওপৰত ভস্ম ঘঁহি ললে গোটেইটো সাইলাখ বাছিৰলৈ ছাই সানি-লোৱা গৰৈ মাছটো যেন হৈ পৰে। এই হেন ঋষিৰ আশা ত্যাগ কৰি আমাৰ তিনিজনৰ যেই সেই এজনক পতি বৰণ কৰি তোমাৰ জীৱন-যৌৱন ধন্য কৰা।”

কথা শুনি সুকন্যাৰ চকু-লো ধাৰাসাৰে ওলাল। পতিনিন্দা শুনি ক্ৰোধত তেওঁৰ হাত-ভৰি কঁপিবলৈ ধৰিলে। সেই বুলি তেওঁ কিন্তু বিত্তত নহ’ল। তেওঁ ভালকৈ জানে যে তেওঁৰ পতি চ্যৱন মুনিৰ কোনেও একো অন্যায় কৰিব নোৱাৰে। গতিকে তেওঁ অলপ ক্ষান্ত হৈ হাতযোৰ কৰি কবলৈ ধৰিলে, “দেৱতাসকল, মৰতৰ ক্ষুদ্ৰ মনিচ হৈ মই আপোনা-লোকৰ মায়া কেনেকৈ বুজিম? মই জানো মোৰ স্বামী চ্যৱন মুনি। তেওঁৰ বাহিৰে ইহকাল-পৰকালত মোৰ কোনো পতি হব নোৱাৰে। মোৰ স্বামী অষ্টম-দৰিদ্ৰ হওক, তথাপি মোৰ মানত তেওঁ ৰাজাধিৰাজ; মোৰ স্বামী ক্ষীণ, দুৰ্ব্বল নাইবা কদাকাৰ হওক— তথাপি তেওঁ মোৰ কাৰণে থুলন্তৰ, সবল আৰু সুন্দৰ। আপোনালোকে জানে যে সতী তিৰোতাৰ পতিৰ বাহিৰে অন্য গুৰু নাই। পতিয়েই তিৰোতাৰ যাগ-যজ্ঞ, তপ-জপ, দান-পুণ্য সকলো। পতি-সেৱাই সতী তিৰোতাৰ যোগ আৰু তপস্যা। গতিকে মায়াখেল নেখেলি আপোনালোকে অনুগ্ৰহ কৰি মোৰ স্বামীক সোনকালে দেখুৱাই দিয়ক।”

সুকন্যাৰ সত আচৰণ আৰু মনোহাৰী কথাই অশ্বিনীকুমাৰ দুজনৰ

অন্তৰ জয় কৰিলে। তেওঁলোকে সুকন্যাক বুজাই কলে যে তেওঁৰ পতি চ্যৱন মুনিক ইতিমধ্যে তেওঁলোকে যৌৱন দান কৰিলে। সেইগুণে চ্যৱন এতিয়া আগৰ চ্যৱন নহয়; দীপ-লিপ যুৱক। ইয়াকে কৈ তেওঁলোকে মুনিৰ লগত সুকন্যাৰ চিনাকি কৰি দিলে। সুকন্যায়ো কথা-বতৰা আৰু আচৰণত মুনিক চিনিব পাৰি বৰ বং পালে। মুনিয়ে অশ্বিনীকুমাৰ দুজনক যথা সময়ত যজ্ঞৰ ভাগ দিবলৈ পাত্ত লৈ সেইদিনা বিদায় দিলে।

* * * *

ইয়াৰ কিছুদিন পিছৰ কথা। এদিন ৰজা শৰ্য্যাতি জোঁৱায়েক চ্যৱন মুনিৰ আশ্ৰমলৈ যাওক। জী-জোঁৱাইৰ বা-বাতৰি লব, আৰু ঋষিকো এটা যজ্ঞত পুৰোহিত হবলৈ মাতি আহিব—এয়ে আছিল আশা। আশ্ৰম পাই ৰজাই দেখে ঋষি নাই। সুকন্যাই এজন অচিনাকি যুৱকৰ লগত হাঁহি-মাতি ৰং-তামাচা কৰি আছে। দেখি ৰজাৰ এটা বিপৰীত খং উঠিল। কিন্তু মুখেৰে তেতিয়া একো নকলে।

পিতাকক দেখি সুকন্যাই বহিবলৈ আসন দিলে। ৰজা বহিল; কিন্তু তেওঁৰ দুচকুৰেদি তেতিয়া যেন ক্ৰোধত জুইৰ আঙনিহে বাহিৰ হব লাগিছে। তেওঁ আৰু ধৈৰ্য্য ধৰি থাকিব নোৱাৰিলে। জীয়েক সুকন্যাক মাতি তেওঁ কবলৈ ধৰিলে, "আই, তোক মই সকবেপৰা যত্নেৰে শিক্ষা দিয়াৰ কোনো ফল নধৰিল। মই সপোনতো ভাবিব পৰা নাছিলোঁ যে তই এনেকুৱা হবি। তই মনত ৰখা উচিত আছিল যে তই ৰাজকুমাৰী আৰু বুঢ়া-মেথা হলেও ঋষিহে তোৰ পতি।"

ইয়াকে কৈ ৰজা মৌন হ'ল। সুকন্যাই ৰজাৰ মনৰ সন্দেহৰ কথা বুজিব পাৰিলে। তথাপি তেওঁ তেতিয়াই ৰজাক কোনো কথা নকৈ ঘৰৰ ভিতৰলৈ সোমাই গ'ল আৰু ভৃঙ্গাৰৰ জলেৰে পিতাকৰ চৰণ ধুৱাই দিলেহি। ক্ৰোধত ৰজা কিন্তু তেতিয়াও নিমাত। তেওঁ যেন পাৰিলে তেতিয়াই জীয়েকক শাপি ভস্ম কৰিব। জীয়েকৰ আতিথ্যই তেওঁক যেন সন্তুষ্ট কৰক ছাবি অশেষ বিৰক্তিহে দিলে। ৰজাই তেনেকৈ কিং-কৰ্ত্তব্য বিমূঢ় হৈ থাকোঁতে সুকন্যাই কবলৈ ধৰিলে, "পিতা, আপোনাৰ জীয়েকৰ সৌভাগ্যৰ কথা আপুনি অলপ ধৈৰ্য্য ধৰি শুনকচোন বাক!" এইবুলি তেওঁ ঋষিয়ে কেনেকৈ অশ্বিনীকুমাৰ দুজনক লগ পালে, কেনেকৈ সৰোবৰত স্নান কৰাৰ

পিছত তেৰাসকলৰ অনুগ্ৰহত বুঢ়া ঋষি পুনৰ যুৱক হ'ল—এই সকলো কথা একে একে বৰ্ণনা কৰিলে। শেষত সুকন্যাই যেতিয়া কলে যে যিজনা যুৱকৰ লগত তেওঁ খন্তেক আগতে কথা পাতি আছিল তেৱেঁই চ্যৱন মুনি, তেতিয়া ৰজাই কিবা সপোন দেখা যেনহে পালে। কোনোবা বাজিকৰৰ মায়া-বাজ্যত সোমোৱা যেনহে তেওঁৰ অনুমান হ'ল। নিজৰ চকু আৰু কাণকো যেন তেওঁ আজি বিশ্বাস নকৰিব! সকলোবোৰ কথাই যেন তেওঁৰ কাৰণে আজি দুৰ্বোধ্য সাঁথৰ। তেওঁ তধা লাগি চাই ৰ'ল।

ৰজাই সুকন্যাৰ লগত কথা পতা সময়খিনিত ঋষি ইচ্ছা কৰিয়েই আঁতৰি আঁছিল। সুকন্যাৰ কথা শেষ হোৱাৰ লগে লগে তেওঁ ৰজাৰ আগত উপস্থিত হৈ নমস্কাৰ জনালে। ৰজাই যেতিয়া অলপ পৰ কথা-বাৰ্ত্তা হৈ সেই ঋষিজনেই যে তেওঁৰ জোঁৱায়েক ঋষি চ্যৱন সেইটো বুজিব পাৰিলে তেতিয়া তেওঁৰ অন্তৰত আনন্দ নধৰা হ'ল। তেওঁ হাঁহি-বই নে কান্দিবই কৰ নোৱাৰিলে। এফালে নিজৰ জীয়েকৰ পতি-ভক্তিয়ে যিদৰে তেওঁৰ অন্তৰ জয় কৰিলে আনফালে সেইদৰে চ্যৱন মুনিৰ সাধনাৰ কথায়ো তেওঁক তেনেই তবধ লগালে। তেতিয়া তেওঁ জীয়েকৰ মূৰত ধৰি পাৰেমানে আশীৰ্ব্বাদ দিলে, মুনিকো অশেষ প্ৰশংসা কৰি যজ্ঞত পুৰোহিতালি কৰিবলৈ নিমন্ত্ৰণ কৰি ঘূৰি গ'ল।

একেই ৰজা, তাতে শহুৰ! গতিকে তেওঁৰ নিমন্ত্ৰণ ৰক্ষা নকৰাৰ কোনো প্ৰশ্নই নুঠে। সেই হেতু যথাসময়ত ঋষি গৈ ৰজাৰ ঘৰত উপস্থিত হ'ল।

যজ্ঞৰ সকলো সম্ভাৰ গোট খালে। চাৰিওফালে আনন্দৰ ফিৰিঙি উঠিল। এই আনন্দৰ মাজত সবাতোকৈ সুখী লোক আছিল মহাৰাজ শৰ্য্যাতি। সেইদিনা মহাৰাজৰ আনন্দ চাই কোনে? ঋষিৰাজ চ্যৱনৰ দৰে তেজস্বী মুনিক তেওঁ জোঁৱাই পাইছে আৰু সেই জোঁৱায়েই আকৌ যজ্ঞৰো পূজাৰী! ইয়াতকৈ আনন্দৰ কথা নাই। বিপুল সমাৰোহৰ মাজত যজ্ঞৰ কাম চলিবলৈ ধৰিলে।

যজ্ঞত দেৱতাসকলক সোমৰস উৎসৰ্গ কৰা সময় আহিল। বিৰাট ব্যস্ততাৰ মাজতো ঋষিয়ে কিন্তু অশ্বিনীকুমাৰ দুজনৰ কথা পাহৰা নাই। দেৱতাসকলৰ লগতে তেওঁ অশ্বিনীকুমাৰ দুজনাকো মন্ত্ৰেৰে আহ্বান কৰিলে।

ইন্দ্ৰকে প্ৰমুখ্য কৰি দেৱতাসকল নামি আহিল। যজ্ঞ-ভূমিত উপস্থিত হৈ তেওঁলোকে দেখে যে তেওঁলোকৰ পিছে পিছে অশ্বিনীকুমাৰ দুজনো আহিছে। তেওঁলোকে প্ৰথমতে ভাবিছিল যে বাটকণা লাগিয়ে হয়তো বেচাৰাহঁত ভালৈ গৈছে। কিন্তু যেতিয়া দেখিলে যে সিহঁত দুজনো গৈ তেওঁলোকৰ শাৰীতেই বহিল—তেতিয়া দেৱতাসকলৰ আৰু সহ্য নহ'ল। তেওঁলোকে ইয়াৰ কাৰণ অনুসন্ধান কৰিবলৈ ধৰিলে।

বহুত অনুসন্ধানৰ ফলত তেওঁলোকে জানিব পাৰিলে যে এই কাম আন কাৰো নহয়—চ্যৱন মুনিৰ। তেতিয়া তেওঁলোক তেনেই অধৈৰ্য্য হৈ পৰিল। দেৱতাসকলক অপমান কৰিবৰ কাৰণেই ঋষিৰ এই চক্ৰান্ত বুলি তেওঁলোকে স্থিৰ কৰিলে। খণ্ডত টিঙিৰি তুলা হৈ সকলোৱে উঠি যজ্ঞ-ভূমিত দপ্‌ দপাই হৰহৰাই ঘূৰি ফুৰিবলৈ ধৰিলে। ঋষিয়ে অনেক স্তুতি-নতি কৰি দেৱতাসকলকেই আগে সোমৰস দিবলৈ ওলাল; তথাপি তেওঁলোক সৈমান নহ'ল। অশ্বিনীকুমাৰ দুজনক খেদি পঠিয়ালেহে দেৱতাসকলে সোম-ৰস গ্ৰহণ কৰিব, এয়ে হ'ল তেওঁলোকৰ প্ৰতিজ্ঞা। ঋষিয়ে অনেক যুক্তিৰে বুজাবলৈ চেষ্টা কৰিলে, কিন্তু সকলো অথলে গ'ল। দেৱতাসকলে সেই-বোৰ নামানিলে। তেওঁলোকে জানে তেওঁলোক দেৱতা আৰু অশ্বিনী-কুমাৰ দুজন বেজ। দেৱতা আৰু বেজৰ একেশাৰীত ঠাই হব নোৱাৰে। আভিজাত্যৰ গৌৰৱত তেওঁলোক ইমান মত্তলীয়া!

ইফালে দেৱতাসকলৰ দৰ্প দোপত-দোপে চৰি যোৱা দেখি ঋষিয়ে ভাবিলে—চুঙা চাই সোপা দিবিলে নচলে। তেওঁ তেতিয়া গহীনাই কলে, "তেন্তেহলে হে অমৰসকল, আপোনালোকে শুনি লওক যে মন্ত্ৰত মই আজিৰপৰা অশ্বিনীকুমাৰ দুজনক আপোনালোকৰ লগত চিৰস্থায়ীভাৱে ঠাই দি থলোঁ; ইয়াৰদ্বাৰা মই আপোনালোকৰ মৰ্য্যাদাৰ অকণো হানি কৰা নাই; তেওঁলোকক তেওঁলোকৰ প্ৰাপ্যস্থান মাত্ৰ মই দিছোঁ। কাৰণ তেওঁলোকো দেৱতাকেই কুমাৰ। তেওঁলোকৰ জন্মস্বত্ব আজি যোগ্যতাৰ বলত আদায় কৰি লৈছে। মনত ৰাখিব তেওঁলোক দুয়ো আপোনা-লোকৰেই হিতাকাঙ্ক্ষী বৈদ্য। আৰু শুনক, মন্ত্ৰৰ ক্ষমতা আপোনালোকৰ নহয়, ঋষিসকলৰহে। তাত আপোনালোকৰ আপত্তি নবজে।"

ঋষিৰ কথা দেৱতাসকলৰ কাৰণে যেন জ্বলা জুইত ঘিউহে হ'ল।

বিবেকশূন্য হৈ তেওঁলোকে যাৰ যি অস্ত্ৰ আছিল তাকে লৈ, ঋষিক হত্যা কৰিবলৈ খেদি আহিল। ইন্দ্ৰই দেখিলে— কথা বিষম। তেওঁ আগবাঢ়ি গৈ সকলোকে খন্তেকৰ কাৰণে ধৈৰ্য্য ধৰিবলৈ কৈ নিজে হাতত বজ্ৰ লৈ চ্যৱন বধৰ কাৰণে সাজু হ'ল। ইন্দ্ৰৰ সেই ভয়ঙ্কৰ সংহাৰ মূৰ্ত্তি দেখি দানৱ, মানৱ আৰু আনকি অন্য দেৱতাসকলো কম্পমান হ'ল। ৰজা শৰ্য্যাতিয়ে প্ৰমাদ গণি ঘনাই ভগৱানৰ নাম লবলৈ ধৰিলে। চাৰিওফালৰ আনন্দ খন্তেকতে মাৰ গৈ যজ্ঞ-ভূমি তেনেই নিজম পৰিল।

চ্যৱন মুনি কিন্তু তেতিয়াও অচল-অটল। ইন্দ্ৰক বজ্ৰ হাতত লৈ তেনেকৈ মতলীয়াৰ দৰে খেদি অহা দেখি তেওঁ বিদ্ৰূপৰ হাঁহি এটি মাৰিলে। ঋষিৰ হাঁহি দেখি ইন্দ্ৰ আৰু বেছি জ্বলি উঠিল। তেওঁ পোনেই বজ্ৰ প্ৰহাৰ কৰিবলৈ হাত দাঙিলে। ঋষিয়েও ঠিক সেই সময়তে নিজৰ সোঁহাতখন তুলি দিবা একাৰাৰ কথা কবলৈহে পালে—ইন্দ্ৰৰ হাতৰ বজ্ৰ হাততে থাকিলে। তেওঁ আৰু হাত লৰচৰ কৰিব নোৱাৰিলে। আনকি বজ্ৰেৰে মাৰিবলৈ গৈ নিজে বজ্ৰপৰা মানুহৰ দৰে থিয় হৈ থাকিল। ক্ৰোধত ৰঙাপৰা মুখ খন্তেকতে লাজ আৰু অপমানত বিবৰ্ণ হ'ল। থকা ঠাইৰপৰা তেওঁ অকণো লৰচৰ কৰিব নোৱাৰিলে। শিলৰ মূৰ্ত্তিৰ নিচিনাকৈ থম্ থম্ কৰে থিয় হৈ থাকিল আৰু মুখৰ মাত হেৰাল। দেৱতাসকলৰ বাহিৰে যজ্ঞস্থলৰ সকলোৰে মনত হৰিষ আৰু কৌতূহল মিলিল।

'দেৱতাসকলে দেখে, চাওঁতে চাওঁতেই ঋষিৰ ক্ৰোধত ইন্দ্ৰ এতিয়া মৰি-মুৰ হয়। তেওঁলোক সকলোৱে তেতিয়া লাজ-কাজ কাতি কৰি গৈ মুনিক কাতৰভাৱে স্তুতি কৰিবলৈ ধৰিলে। দেৱতাসকলৰ কৰুণ স্তুতি-নতিত ঋষি সন্তুষ্ট হ'ল। তেওঁ ইন্দ্ৰক ক্ষমা কৰিলে। ঋষিয়ে দিয়া বৰ বতাহ লগে লগে ইন্দ্ৰই পুনৰ হেৰোৱা বল ঘূৰাই পালে। তেওঁ তেতিয়া লজ্জা-বিনয়-ভাৱে ঋষিক প্ৰণাম জনালে। ঋষিয়েও দেৱতাসকলক বৰাই বুজাই শান্ত কৰি সকলোৰে হাতত সোমৰস বাটি দিলে। সেইদিনাৰেপৰা অশ্বিনীকুমাৰ দুজনো দেৱতা বুলি পৰিগণিত হ'ল আৰু তেওঁলোকেও যজ্ঞৰ ভাগ পাবলৈ ধৰিলে।

এইদৰেই দেৱতাসকলৰ দৰ্পচূৰ্ণ কৰি যজ্ঞৰ শেষত চ্যৱন মুনি ৰং মনেৰে আশ্ৰমলৈ উভতিল; স্বৰ্গ আৰু পৃথিৱী দুয়ো ঠাইতে নিৰন্তৰ শান্তি বিৰাজি পৰিল।'

সচিত্ৰ

ওলট-পালট

(খুহুতীয়া গল্প)

শ্ৰীঅতুলচন্দ্ৰ বৰুৱা, এম্ঃ এঃ এ. টিঃ এচঃ
শিলং চেইণ্ট মেৰী কলেজৰ অসমীয়া সাহিত্যৰ
ভূতপূৰ্ব্ব অধ্যাপক; কলিকতা, ঢাকা
আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ
প্ৰাক্তন পৰীক্ষক, ইত্যাদি।

গুৱাহাটী

প্ৰকাশিকা :
শ্ৰীহিৰণ প্ৰভা বৰুৱা
নৱগিৰি, গুৱাহাটী

প্ৰথম প্ৰকাশ :
১৯৫৭, অক্টোবৰ
দ্বিতীয় সংস্কৰণ (সচিত্ৰ)
১৯৫৮, এপ্ৰিল
তৃতীয়, ৪ৰ্থ, ৫ম, ৬ষ্ঠ সংস্কৰণ ক্ৰমে
১৯৬০, ১৯৭০, ১৯৭৫, ১৯৮০
মূল্য : এটকা

মুদ্ৰক :
শ্ৰীকালীচৰণ পাল
নৱজীৱন প্ৰেচ
৬৬ গ্ৰে ষ্ট্ৰীট, কলিকতা-৬

—শুভাশীষ—

ওলট-পালট-প্ৰিয় খেলিমেলিৰ ওজা

আমাৰ বৰ্ত্তমান সুমলীয়া পো

ভুতুল (ভাইটি) লৈ—

—লেখক

আগ কথা

'ওলট-পালট' লিখিব-পঢ়িবলৈ আৰম্ভ কৰাসকলৰ কাৰণে লিখা হৈছে। সেই গুণে তাৰ আদিৰ গোটাচেৰেক গল্পত যুক্তাক্ষৰ একেবাৰে দিয়াই নাই। চুটি অথচ খেমেলীয়া আৰু সৰল অথচ কৌতুহলপূৰ্ণ গল্পই শিশু কিয় বুঢ়াৰো মুখত হাঁহি বিৰিঙায়। তেনে আনন্দ দানৰ উদ্দেশ্যেই ওলট-পালটৰ জন্ম। বাইজৰ হাত পালেহে তাৰ বেহৰূপ ধৰা পৰিব। ইচ্ছা থকা সত্ত্বেও গল্প-বোৰ এইবাৰ চিত্ৰত দেখুৱাব পৰা নহ'ল। আগলৈ তাকে কৰিবলৈ আশা কৰা হ'ল। দ্ৰুত মুদ্ৰণৰ বাবে শ্ৰীউমেশ দাস (পাল) আৰু প্ৰুফ-শুধৰণৰ বাবে শ্ৰীপ্ৰেমনাৰায়ণ দুয়ো বন্ধু কৃতজ্ঞতাৰ পাত্ৰ। ওলট-পালটৰ ভালেকেইটা গল্প জনশিক্ষা আলোচনীত ইতিপূৰ্ব্বে ওলাইছিল।

গুৱাহাটী
বিজয়া দশমী
৩ অক্টোবৰ ; ১৯৫৭

শ্ৰীঅতুলচন্দ্ৰ বৰুৱা

দ্বিতীয় সংস্কৰণৰ কথা

ছমাহ নৌ হওঁতেই প্ৰথম সংস্কৰণৰ ওলট-পালট প্ৰায় শেষ হবলগীয়া হ'ল। সেই বাবে দ্বিতীয় সংস্কৰণত ইয়াৰ গোটাচেৰেক গল্প বাদ দি সচিত্ৰ কৰি উলিওৱা হ'ল। ৰাইজৰ আদৰ লভিলেই পৰিশ্ৰম সাৰ্থক হব।

গুৱাহাটী
১৫ এপ্ৰিল, '৫৮

শ্ৰীঅতুলচন্দ্ৰ বৰুৱা

ষষ্ঠ সংস্কৰণৰ কথা

ওলট-পালট বজাৰত পাবলৈ নাই। তাকে দেখি আৰু একাধিক শুভাকাঙ্ক্ষী বন্ধুবৰ্গৰ তাগিদাত গুনি তাৰ ষষ্ঠ সংস্কৰণৰ ব্যৱস্থা কৰা হ'ল। পাঠকৰ সন্তোষেই আমাৰ পুৰস্কাৰ।

২ অক্টোবৰ; '৮০
গুৱাহাটী-৩

শ্ৰীঅতুলচন্দ্ৰ বৰুৱা

সচিত্ৰ

ওলট-পালট

ষাঁড়ৰ গাখীৰ

আকবৰ বাদছাহৰ ঘাই সভাসদসকলৰ এজনৰ নাম আছিল বীৰবল। বীৰবলৰ বুধিৰ বল বৰ বেছি আছিল। বাদছাহক তেওঁ সদায় বুধিৰে অনেক আচৰিত আচৰিত কাম কৰি দি আমোদ দিছিল।

বীৰবলক ঠেকত পেলাবৰ কাৰণে এদিন বাদছাহে ক'লে, "বীৰবল, তুমি মোক ষাঁড় গৰুৰ গাখীৰ আনি দিব লাগে।"

বীৰবলে ভাবিলে, 'ই কি কথা। মানুহে গাইৰ গাখীৰ আনিব পাৰে। ষাড়ে নো কেতিয়াবা গাখীৰ দিয়েনে?' ভাবি ভাবি বীৰবল মহা বিপাঙত পৰিল। তথাপি মৰণত শৰণ দি তেওঁ ক'লে, "জাহাপনাই মোক এই কামৰ কাৰণে আঠোটা দিন দিয়ক।"

বাদছাহে "বাৰু" বুলি ক'লে।

বীৰবল সেইদিনা ঘৰলৈ গৈ মন মাৰি বহি আছে। ভাবিছে—কিদৰে নো ষাঁড়ৰ গাখীৰ পোৱা যায়? বীৰবলৰ জীয়েক বৰ চতুৰ তিৰোতা আছিল। তেওঁ পিতিয়েকক আমন-জিমনকৈ থকা দেখি সুধিলে, "আজি বাদছাহৰ ওচৰত কিবা জগৰ-তগৰ লগাই আহিলে হবলা! অইন দিনা যেখোন ৰাজসভাৰ পৰা আহিলে টপ্‌টপনিতে ঠাই নাই। আজিনো কি হ'ল?"

বীৰবলে ক'লে, "এ নকবা, হৰ লগাটো হৈছে! শুনা—" এই বুলি তেওঁ জীয়েকক সকলো কথা বিৱৰি ক'লে।

জীয়েকে তেতিয়া তপতে-তপতে সমিধান দি ক'লে, "ঘৰত আয়ুৰ্বীৰ ওপৰতহে বৰ মতা কহলাব পাৰে; সভাত হলে পোত-মোত। বাৰু, তথাপি মই থাকোঁতে ভয় কৰিব নালাগে। মই কোৱামতে কাম কৰক। এই আঠদিন বাহিৰলৈ নাযাব।"

বীৰবলে জীয়েকৰ কথামতেই কাম কৰিলে; আঠদিন বাহিৰলৈ নগ'ল

আঠদিনৰ দিনা পুৱা বীৰবলৰ গৃহিণীয়ে পাটৰাণীৰ দৰে নিজকে সজালে। তাৰ পিছত কাপোৰ কিছুমানৰ বোজা এটা মূৰত লৈ ঘৰৰপৰা বাহিৰ ওলাল। বাদছাহে সদায় যিটো পুখুৰীৰ পাৰত সভাসদসকলক লগত লৈ ঘূৰি ফুৰে সেই পুখুৰীতে সেওঁ গৈ কাপোৰ ধুবলৈ ধৰিলে।

আনদিনাৰ দৰে সেইদিনাও বাদছাহ বাতিপুৱা ফুৰিবলৈ ওলাল। লগত সভাসদসকল আছে। তেওঁ গৈ কাপোৰ ধুই থকা মহিলাগৰাকীক দেখিলে। তেওঁ পোনতে ভাবিলে, কোনোবা মানী মানুহৰ ঘৰৰ মহিলাই কিবা অসুবিধাত পৰি তেওঁৰ পুখুৰীত কাপোৰ ধুইছেহি।' কৌতুহল গুচাবৰ কাৰণে তেওঁ তেতিয়া সভাসদসকলক লগত লৈ ওচৰলৈ গৈ সুধিলে; "আই, আপুনি নিজে এইদৰে কাপোৰ ধুইছে কেলেই? আপোনাক কোনোবা বৰ মানী মানুহৰ ঘৰৰ গৃহিণী যেন লাগিছে! আপোনাৰ ঘৰত জানো চাকৰ-বাকৰ নাই?"

মহিলাই কলে, "কি কব বাদছাহ, আজি আঠদিন হ'ল মোৰ পতিৰ ল'ৰা এটা উপজিছে। ঘৰৰ চাকৰটোও এই কেইদিনৰ ভিতৰতে পলাল। উপায় নাপাই মই নিজে এই কাম কৰি অশৌচ খেদাবলগীয়া হৈছোঁ।

বাদছাহ আচৰিত হ'ল। তেওঁ কলে, "আপোনাৰ গিৰিয়েকৰ ল'ৰা উপজিব কিদৰে? আপুনি কিবা ভুল কৰিছে।"

মহিলাই ক'লে, "নহয় জাহাপনা, এই দেশত হব পাৰে। যি দেশৰ মহিমাময় বাদছাহেও ষাঁড়ৰ গাখীৰ খাবলৈ বিচাৰে—তাত মতা মানুহৰ ল'ৰা উপজা একো আচৰিত নহয়।"

বাদছাহে তেতিয়া সকলো কথাৰ গম পালে। তেওঁ ক'লে, "বাকী সকলো বুজিছোঁ। আপোনাৰ গিৰিয়েকক সোনকালে গৈ ৰাজসভালৈ পঠিয়াই দিব।" এই বুলি তেওঁ ধন-ভঁৰালীক আদেশ দিলে—"ভঁৰালী, এই মহিলাগৰাকীৰ ঘৰলৈ এতিয়াই ধন-সোণ, মণি-মুকুটা এভাৰ দি পঠোৱা।"

বীৰবল আহিলত বাদছাহে ক'লে—"হৈছে বীৰবল হৈছে; তুমি আৰু বৈণীয়েৰাৰ পাণ্ড-বোৰ হৈছে।"

— —

টেঙৰ লগুৰা

এসময়ত এজন ৰজা আছিল। ৰজাৰ এটা লগুৰা আছিল। সি বৰ টেঙৰ আছিল। ৰজাই এদিন কিবা কথাত বৰ আমনি পাই কটোৱালক আদেশ দিলে—"কটোৱাল, এই আপদটোক লৈ যা। হাতীৰে গচকাই মাৰি পেলা।"

ৰজাৰ আদেশ পাই কটোৱালে লগুৰাটোক হাতত ধৰি এখন মুকলি পথাৰলৈ লৈ গ'ল আৰু তাতে এটা গাঁত খানি লগুৰাক ডিঙিলৈকে পুতিলে। তাৰ পাছত কটোৱালে লগুৰাক সেইদৰে পুতি থৈ হাতী বিচাৰি নগৰলৈ গ'ল। লগুৰাৰ মূৰটো মাথোন মাটিৰ ওপৰত ওলাই থাকিল। মৰণ কাল ওচৰ চপা দেখি লগুৰাই ভগৱানৰ নাম লৈ আছে।

সেই সময়তে ৰজাৰ কুঁজা ধোবাটো সেইপিনেদি যাওঁতে। তাৰ পিঠিত এটা কাপোৰৰ বোজা। সি কুঁজৰ ওপৰত তাকে তুলি লৈ ৰজাৰ নগৰলৈ গুজুং-গুজুংকৈ গৈ আছিল। বাটৰ কাষত পথাৰৰ মাজত ডিঙি-লৈকে পোত গৈ থকা ৰজাৰ লগুৰাক দেখি ধোবাই চিনি পালে। সি উচপ খাই উঠি সুধিলে, "আই ঔ দেহি! এইটো অমুকা লগুৰা নহয় নে? তোৰ এই দশা কিদৰে হ'ল? কোনে তোক পুতিলে?"

টেঙৰ লগুৰাটোৱে ভাবিলে—'সুযোগ মিলিছে। হৰিয়ে ভাল মিলাইছে। ইয়াকেই ধৰা যাওক।' এই ভাবি সি ক'লে. "এৰা ককাই, মোৰো তোমাৰ দশাই হব ধৰিছিল। মোৰো পিঠিত কুঁজ এটা হৈ আহিছিল। পিছত ৰজাৰ বেজে মোক এইদৰে তিনদিনলৈক পুতি ৰাখিয়ে ভাল কৰিলে। মই এতিয়া ভাল হৈছোঁ। লাগিলে তুমি খানি উলিয়াই চাব পাৰা।"

ধোবাৰ মনত কৌতুহল জাগিল। সি ভাবিলে—'মযো কুঁজা; চাওঁ-চোন বাৰু, জানোচা কথা বিধিয়ে মোৰো কুঁজটো ভাল কৰাৰ কিবা উপায় দিয়েই! কুঁজটো ভাল হলে মোক পায় কোনে?' এনেকৈ ভাবি সি ওচৰৰ গিৰিহঁতৰপৰা এখন কোৰ খুজি আনি লগুৰাক খানি উলি-

য়ালে আৰু ভ'লকৈ চাই দে'খলে যে সঁচাকৈয়ে লগুৱাৰ পিঠিত কুঁজৰ চিন-চাব নাই। সি তেতিয়া লগুৱাক কলে, "ভাই, মোকো এইদৰে পুতিব পাৰিবা নে?" লগুৱাই পাৰিম বুলি কলে আৰু সেই গাঁতটোতেই ধোবাক পুতি থৈ ধোবাৰ অনুৰোধত কাপোৰখিনি দিবৰ কাৰণে ৰজাৰ নগৰলৈ গুচি গ'ল।

ৰজা ৰাজ-সভাত বহি আছিল। তেওঁ দূৰৰ পৰাই লগুৱাক চিনিলে। লগুৱাই কাপোৰৰ বোজা লৈ যোৱা দেখি ৰজা আচৰিত হ'ল। তেওঁ সুধিলে. "হেৰ' বটা, তোক মই হাতীৰে গচকাই মাৰিবলৈ আদেশ দিয়া নাছিলোঁ নে? তই আকৌ ক'ৰপৰা ওলালিহি?"

তেতিয়া লগুৱাই কাপোৰৰ বোজা নমাই থৈ ৰজাৰ ওচৰত আঠু লৈ কলে, "মহাৰাজ, আপোনাৰ কুকুৰ-ধূলি লগুৱাই হৰিৰ কৃপাত ৰক্ষা পালোঁ। বাখে হৰি মাৰে কোনে—মহাৰাজ?"

ৰজা খণ্ডত ৰঙা হৈ উঠিল। তেওঁ ক'লে—"সেইবোৰ টাংবাং মোৰ ওচৰত নাখাটে। তই এই ভেশ ললি কেনেকৈ ততালিকে ক।" তেতিয়া লগুৱাই গুৰিৰে পৰা সকলো বিবৰি ক'লে।

লগুৱাৰ বুধি দেখি ৰজা বৰ খুচি হ'ল। তেওঁ কটোৱাল আৰু লগুৱা দুয়োকো ক্ষমা কৰিলে। ধোবাকো ৰাজ-সভালৈ নিয়াই পাৰেমানে হাঁহিলে।

কুলক্ষণীয়া ভিখাৰী

এদিন আকবৰ বাদছাহে সভাসদ বীৰবলক ক'লে—"বীৰবল, দেশত এনে মানুহ আছেনে যাক পুৱা দেখিলে মানুহৰ গোটেই দিনটো বিফলে যায়?"

বীৰবলে ক'লে, "আছে জাহাপনা।"

"যাক, এদিন তাক মোৰ ওচৰলৈ আনিবা"—বাদছাহে ক'লে।

"যিবা আদেশ; কালিলৈয়ে পঠাম, জাহাপনা" বুলি বীৰবল মনে মনে ৰ'ল।

পিছ দিনাই বীৰবলে কৰিলে কি? বাদছাহৰ নঙলাত ৰাতিপুৱা এটা ভিখাৰী ৰাখি থলে। বাদছাহে ভিখাৰীক দেখি ভাবিলে, 'ইয়ে কুলক্ষণীয়া ভিখাৰী হব পায়।' এই ভাবি তেওঁ ভিখাৰীক এটা ঘৰৰ ভিতৰত থৈ দিবলৈ ক'লে।

কাকো পৰে, তালো সৰে। দৈব-বশত সেইদিনা বাদছাহে কামৰ ভিৰত দুপৰীয়া খানা খাবলৈকে সময় উলিয়াব নোৱাৰিলে। গধূলি তেওঁ বীৰবলক মাতি নি ক'লে, "বীৰবল, সঁচাকৈয়ে একোটা একোটা মানুহ থাকে যাক পুৱা দেখিলে গোটেই দিনটো অথলে যায়। মোৰ আজি সেয়ে হ'ল। তুমি পঠোৱা ভিখাৰীটোক মই আজি পুৱা দেখিছিলোঁ। ফলত আজি দিনৰ দিনটো মই একো খাবলৈকে সময় নাপালোঁ। এই ভিখাৰীয়ে আৰু অনেক লোকক অপকাৰ কৰিব। ইয়াক ফাঁচি দি থতম্ কৰাই ভাল।" ইয়াকে কৈ তেওঁ কটোৱালক মাতি ক'লে—"কটোৱাল, পুৱাৰ পৰা ৰাখি থোৱা সেই কুলক্ষণীয়া ভিখাৰীটোক এতিয়াই ফাঁচি দি বধ কৰ্।"

যেনে আদেশ তেনে কাম। কটোৱালে ভিখাৰীক ফাঁচি-কাঠৰ ওচৰলৈ টানি লৈ গ'ল। ফাঁচি-কাঠ দেখি তোকাতুৰ ভিখাৰীৰ চুলিয়েদি জীউ উৰি গ'ল।

বীৰবলে ভাবিলে, 'হায়, চাই থাকোঁতেই বেচেৰা ভিখাৰীটো এতিয়া মৰে! এই ভিখাৰী ফাঁচি-কাঠত মৰিলে মোকহে পাপে চুব, কাৰণ মইহে তাক আনিছিলোঁ।' এই ভাবি তেওঁ মৰসাহ কৰি বাদছাহৰ ওচৰলৈ গৈ কলে, "জাহাপনা, কাটিলেও কাটক, মাৰিলেও মাৰক, মোৰ হলে এই ভিখাৰীৰ কথাটো কিবা এটা সাঁথৰ যেনহে লাগিছে। কোন যেছি কুল-ক্ষণীয়া—জাহাপনা নে ভিখাৰী? জাহাপনাই তাক পুৱা দেখিছিল। জাহাপনাই তাক দেখি আজি খানা খাবলৈকে সময় নাপালে। সিও জাহাপনাক দেখি দিনৰ দিনটো খাবলৈ খুদ-কণ এটাও নাপালে। ইমানলৈ দুয়োকালে সমান। এতিয়া আকৌ জাহাপনাই আৰাম কৰি খাবলৈ পাব আৰু সি পাব ফাঁচি-কাঠত ওলমিবলৈ! এতিয়া কাক দেখি কাৰ বেছি

ক্ষতি হ'ল—আৰু কোন হ'ল অধিক কুলক্ষণীয়া ? জাহাপনা নে এই ভিখাৰী ?”

ব'দছাহে কথাটো টং কৰি চালে। তেওঁ তেতিয়া বীৰবলৰ বুধিৰ শলাগ লৈ ভিখাৰীক খুৱাই-বুৱাই বিদায় দিবলৈ আদেশ দিলে। অকল সেয়ে নহয় লগতে কিছু ধন-সোণ ভিখাৰীক দান দিলে।

বৰফুকনৰ বৰবস্তুৱা

তেতিয়া গুৱাহাটীত বদন আছিল বৰফুকন। বৰফুকনৰ ঘৰ বজাৰ ঘৰৰ দৰেই আছিল। বৰফুকনৰ এটা কামৰূপীয়া লগুৱা আছিল। সি বৰ খুহটীয়া আছিল বাবে তাক সকলোৱে বৰবহুৱা বুলি মাতিছিল। ফুকনেও বৰবহুৱাক তাৰ ধেমেলীয়া কথাবোৰৰ কাৰণে বৰ মৰম কৰিছিল।

এদিন ফুকনে হাউলিৰ ভিতৰত ধাৰণ-বধ ভাওনা পাতিলে। ভাৱৰীয়া-সকল যেতিয়া আহি পালে ফুকনে তেতিয়া ভাবিলে—'মোৰ বহুৱাটো বৰ টেঙৰ। সি আন মানুহক সদায় ঠগে। তাকো আজি ঠগিব লাগিব।' এই ভাবি তেওঁ ভাওনালৈ সকলোকে যাবলৈ দিলে—নিদিলে কেৱল বহুৱাক। তেওঁ এখনৰ পিছত এখনকৈ থকা দুয়োখন দুৱাৰত দুটা দুৱৰী ৰাখিলে। দুয়ো দুৱৰীক তেওঁ ভালকৈ কৈ দিলে যে কেতিয়াও যেন বৰবহুৱাক ভাওনা চাবলৈ ভিতৰলৈ যাবলৈ দিয়া নহয়।

ভিতৰত ভাওনা চলিল। ভাৱৰীয়ায়ো নাচি-বাগি আহি বচন মাতি-বলৈ ধৰিলে। খোলৰ মাত বাহিৰৰপৰা শুনা হ'ল। বহুৱাৰ গা নাচি-বলৈ ধৰিলে। ভিতৰলৈ যাব নোৱাৰি তাৰ মনত দুখ লাগিল। সি ভাবিলে, 'যেই সেই উপায়ে ভিতৰলৈ যাবই লাগিব।' এই ভাবি সি লৈ পহিলাটো দুৱৰীক লগ ধৰি কলে—“হেৰা ভাই, মই . মনে মনে মই ভাৱৰীয়াৰ লগত ভাৱৰীয়া হৈ আছিল। ফুকন যেউতাৰ বাপেক আছিলেও মোক চিনিব নোৱাৰিব। মই ভাৱৰীয়াসকলৰে এজন হৈ পৰিম। এই-

দৰে ভাৰৰীয়া হৈ মই যি পাওঁ তাৰে আধা তোমাক দিম। মোক ভিতৰলৈ যাবলৈ দিয়া, ভাই।" দুৱৰীয়ে ভাবিলে—'বৰবহুৱা সচাঁকৈয়ে বৰ সিয়ান লোক, তাক কোনে চিনি পাব? যাবলৈ দিলে মযো দু-পইচা পাম—ভাগনাও ভাল হব।' ইয়াকে ভাবি দুৱৰীয়ে লাভৰ আশাত তাক যাবলৈ দিলে।

বহুৱাই গৈ আকৌ সিটো দুৱৰীক শিখন দুৱাৰত পালে। তাকো সি সেইদৰে যি পাব তাৰ আধা দিব বুলি আশা দি হাত কৰিলে, আৰু ভিতৰ সোমাল।

ভিতৰত সেই সময়ত ভাৰৰীয়াৰ দহমুৰীয়া বাৰণে নিজৰ বাহুবলৰ কথাবোৰ বৰ বৰকৈ কৈ যুঁজিবলৈ সাজু হৈছিল। বহুৱাই ভাবিলে, 'এই ছেগতে কাম কৰিব লাগিল।' এই ভাবি সি ওচৰতে পৰি থকা লাঠী এডাল লৈ পোনেই দহমুৰীয়া বাৰণৰ পিঠিত কেই কোবমান শোধাই দিলে। ভাৰৰীয়াৰ বাৰণে চিঞৰিবলৈ ধৰিলে। ভাৰৰীয়াসকলৰ মাজত হাহাকাৰ লাগি পৰিল। সভাচোৰা মানুহৰ মাজতো হাই-উৰুমি উঠিল।

বৰফুকনে গৈ বৰবহুৱাক চিনিব পাৰি খঙৰ কোবত হাতত ধৰি টানি আনি কটোৱালক কলে—"কটোৱাল, ইয়াক বাহিৰলৈ নি পিঠিত লেখি লেখি কুৰি কোব শোধাই দে। তাৰ পিছত আৰু যি কৰিব লাগে মই কৰিম।" যেনে হুকুম তেনে কাম। কটোৱালে বৰবহুৱাক হাতত ধৰি বাহিৰলৈ লৈ গ'ল।

বাটত যাওঁতে বৰবহুৱাই কটোৱালক কলে, "হেৰা কটোৱাল ককাই, মই ভিতৰলৈ যাওঁতে দুটা মানুহক দুটা কথা দি গৈছিলোঁ। মই যি পাম তাৰে এক আধা এটা দুৱৰীক আৰু বাকী সিটো দুৱৰীক দিম বুলি কথা দি গৈছিলোঁ। এতিয়া মই তাকে দিব লাগে, নহলে মোক পাপে চুব। দিম বোলা ধাৰে—বাপতীয়া ধাৰে সমান। গতিকে সিহঁত দুজনক আনিব লাগে।"

কটোৱালে কথাটো গমি চালে আৰু ঠিক যেন পাই দুয়োজা দুৱৰীকে মাতি নি সুধিলে—"হয়নে দুৱৰীহঁত, বহুৱাই যি পাব তাৰ হেনো এক আধা তোমালোকৰ এজনক আৰু বাকী আধা আনজনক দিব খুজিছিল?" সিহঁতে একমুখে হয় হয় কৰিলে। কটোৱালে তেতিয়া সিহঁতক এজনৰ

পাছত এজকৈ ডুয়োকো খিয় কৰিলে। ৰবৰহুৱাকো সিহঁতৰ পাছত খিয় কৰিলে। তাৰ পিছত কুৰিকোৱৰ দহকোৰ পহিলাটো ডুৱৰীৰ পিঠিত শোধালে। বাকী দহকোৰ সিজন ডুৱৰীৰ পিঠিত শোধালে। তাৰ পিছত বহুৱাৰ কাৰণে বাকী নাথাকিল। ৰবৰুৱাক সি এৰি দিলে।

ঠিক এনে সময়তে বৰফুকন বাহিৰলৈ আহিল। তেওঁ আহি জানিব পাৰিলে যে কটোৱালে ডুৱৰীদুটাকহে কোবালে। তেওঁ তেতিয়া খং কৰি কলে—"কটা, তই ইহঁতক, ডুৱৰীহঁতক কিয় কোবালি? তোক মই বহুৱাকহে কোবাবলৈ দিছিলোঁ?"

কটোৱালে আঠু লৈ কলে, "দেউতা, যাৰ কপালত যি থাকে তাকেহে পায়। ইহঁতৰ পিঠিয়ে কটকটাইছিল। নহলেনো নিজে খুজি কোব খায়হি নে?" এই বুলি হাতযোৰকৈ বৰফুকনৰ আগত কটোৱালে সকলো কথা বিবৰি কলে।

বৰফুকনে কথাটো শুনি নাহাঁহি নোৱাৰিলে।

ৰজা নৰনাৰায়ণৰ বিচাৰ

ৰজা নৰনাৰায়ণৰ দিনৰ কথা। বুঢ়ী বিধৱা এগৰাকীয়ে পুতেকৰ বিয়া পাতিছিল। বিয়ালৈ হাতী এটাও ভাৰা কৰি আনিছিল। বুঢ়ীৰ এনেহে কপাল যে বিয়াৰপৰা ঘূৰি আহি ঘৰ পোৱাৰ লগে লগে হাতীটো মৰি থাকিল।

হাতীৰ গিৰীয়ে তেতিয়া ৰজা নৰনাৰায়ণৰ ওচৰত গোচৰ কৰিলে। গোচৰত বুঢ়ীয়ে নিজৰ মাটি-বাৰী, গহনা-গাঁঠৰি সকলো বেচি হাতীৰ দাম দিবলৈ গাত ললে। পিছে হাতীৰ গিৰী আছিল বৰ একাচেকা বিধৰ মানুহ; কাৰো লগত নিমিলে। তেওঁ অখটি কৰি ক'লে, "মহাৰাজ, মই টকাৰে কি কৰিম? বুঢ়ীয়ে মোৰ হাতী আনি দিব লাগিব। মই মোৰ নিজৰ হাতী নাপালে নেলোঁ।"

বজা বিমোৰত পৰিল। তেওঁ বুজাই-বৰায়ো হাতীৰ গিৰীক সৈমান কৰিব নোৱাৰি গোচৰৰ ৰায় দিবলৈ দিন পিছুৱাই দিলে। বজাই ৰাজ-সভা এৰি ভিতৰলৈ গ'ল। তেওঁ বৰ পীৰাত বহি জিৰণি লৈ হাতীৰ অকৰা গিৰিটোৰ কথাকে ভাবি আছিল। এনেতে বজাৰ টেঙৰ লগুৱাটো সোমাই আহিল আৰু ক'লে, "দেউতা, মই আজি ৰাজ-সভাত সকলো কথা শুনি আছিলোঁ। এই হাতীৰ গিৰীটোক ভালকৈ এক শিকনি দিব লাগে, দেউতা।"

বজাই ক'লে, "হেৰ, ময়ো তাকে ভাবিছোঁ। তই এতিয়া যা।"

লগুৱাই ক'লে, নহয় মহাৰাজ, মোক যদি কয়, মই হাতীৰ গিৰীক চুঙা চাই সোপা দিব পাৰিম।"

বজাই সুধিলে—"তই নো কি কৰিবি?"

লগুৱাই ক'লে "মহাৰাজ, কৰিম নহয়, যি কৰিব লাগে। আপুনি কেৱল দিনৰ দিনা ঘটনা দেখি যথাবিহিত ৰায় দিলেই চুঙা চাই সোপা হব।"

বজাই ক'লে,—"যা বাৰু তয়ে কি কৰ কৰিবি। মই দিনৰ দিনা যি হয় দেখি-শুনি ৰায় দিম।"

বহুত দিন গ'ল। বিচাৰৰ দিন পুনৰ আহিল। শুচৰীয়া হাতীৰ গিৰী হাজিৰ। বুঢ়ী হলে অহা নাই। বজাই বুঢ়ীক নহা দেখি হাতীৰ গিৰীক ক'লে, "ক'তা? বুঢ়ী দেখোন নাই। কিবা আপোচ কৰিলা নেকি?"

হাতীৰ গিৰীয়ে ক'লে, "মহাৰাজ, বুঢ়ীৰ লগত আপোচ-তাপোচ একো হব নোৱাৰে। তেওঁ মোক হাতী জীয়াই দিবই লাগিব।"

বজাই ক'লে, "যোৱা তেনেহলে তুমিয়ে বুঢ়ীক আনাগৈ। নাহিলে নেৰিবা। তাই ঘৰত লুকাই থাকিব পাৰে; ভালকৈ চাবা।" এই বুলি তেওঁ লগুৱা জুটাবে সৈতে হাতীৰ গিৰীক বুঢ়ীৰ ঘৰলৈ পঠালে।

হাতীৰ গিৰীয়ে গৈ দেখে যে বুঢ়ীৰ ঘৰত কোনো নাই। ঘৰৰ দুৱাৰ ভিতৰৰপৰা জপোৱা আছে। লগুৱাইত ৰাৰীৰ কাণে বুঢ়ীক বিচাৰি গ'ল। হাতীৰ গিৰীয়ে ভালকৈ চাই-মেলি থিৰ কৰিলে বুঢ়ী ঘৰৰ ভিতৰত সোমাই আছে। তেওঁ দুৱাৰখন খুলিবলৈ বুলি 'ঠেলা মাৰি দিলে। ঠেলা পাই দুৱাৰ খোলা গ'ল সঁচা, কিন্তু দুৱাৰত লগাই থোৱা ভাং এডাল পৰি লোটা কলহ কাঁহী-বাটি আদি বহুত বাচন ভাগিল। বাদ্ধি থোৱা হাহ এজনীও মৰিল।

তেতিয়া বুঢ়ী কোনোমতে শেতেলিৰপৰা কেঁকাই-গেঁথাই উঠিল আৰু মোনা এটাত ভগা বাচনবোৰ আৰু মৰা হাঁহজনী লৈ ৰাজ-সভালৈ গ'ল। তেওঁ গৈ পোনেই ৰজাক আঁঠুজুৰি সেৱা জনালে আৰু ক'লে, "মহাৰাজ, মোৰ গোচৰ শুনক; হাতীৰ গিৰীয়ে গৈ মোৰ ঘৰৰ সাজ-বাচন সোপাকে ভাঙি পেলালে। এইবোৰ মোৰ আৰু মোৰ বোৱাৰীৰ যৌতুকৰ বাচন। হাতীৰ গিৰীয়ে আমাক এইবোৰ আগৰ নিচিনাকৈ সজাই দিব লাগিব; ভাঙিব-ছিঙিব নোৱাৰে আৰু এই হাঁহজনীকো তেঁৱে দুৱাৰৰ ভাং পেলাই দি মাৰিছে। হাঁহজনীকো জীয়াই দিব লাগিব। তেওঁ তাকে কৰিলে মইো তেওঁৰ মৰা হাতী জীয়াই দিম।"

ৰজাই সোধাত হাতীৰ গিৰীয়ে ওপৰৰ কথাবোৰ আসৈ মাতিব নোৱাৰিলে। তেতিয়া ৰজাই গোচৰ দুয়োটা একেলগে বিচাৰ কৰি এই ৰায় শুনাই দিলে যে হাতীৰ গিৰী আৰু বুঢ়ী দুয়োৰো দাবী দুয়ো পূৰণ কৰিব নালাগে। দুয়োৰো দাবী কটা-কটি গ'ল। গতিকে কোনেও কাকো একো দিব নালাগে।

ৰজা আৰু সভাসদসকলে টেঙৰ পণ্ডুৱাৰ বুধিকে বখানিলে।

কাৰ বুদ্ধি কিমান

মান্ধাতাৰ আমোলৰ কথা। ৰজা মান্ধাতাৰ সভাত থকা পণ্ডিতসকলৰ ভিতৰত এদিন তৰ্ক হ'ল—তেওঁলোকৰ ভিতৰত কোন বেছি ডাঙৰ পণ্ডিত। কোনেও নিজক কম বুলি নাভাবে। গতিকে সকলোৱে ডাক্কোপ মাৰি নিজৰ নিজৰ গুণ বখানিবলৈ ধৰিলে।

ৰজাই তেওঁলোকৰ বাক-বিতণ্ডা শুনি থাকিব নোৱাৰি বাহিৰলৈ ওলাই আহি ক'লে, 'তোমালোকৰ কোন ডাঙৰ এতিয়াই ধৰা পৰিব।" এই বুলি তেওঁ মাটিত এটা ৰেখা টানিলে। সৰল ৰেখা। আৰু ক'লে, "যিয়ে এই আঁচটো নমচাকৈ চুটি কৰিব পাৰা সেয়ে ডাঙৰ পণ্ডিত বুলি প্ৰমাণ হ'ব।"

পণ্ডিতসকল বিমোৰত পৰিল। সকলোৱে যত্ন কৰিলে কিন্তু কোনেও নোৱাৰিলে। ৰজাই ঘূৰি আহি কাকো সেই প্ৰশ্নৰ সমিধান দিব নোৱাৰা দেখি হাঁহিলে। তেওঁ ক'লে,—"বাৰু তোমালোকে কলালা। এতিয়া মোৰ বহুৱাকে মতা যাওক। সিনো কোনখন ফলা আওবায়হি, চোৱা যাওক।" এই বুলি তেওঁ বহুৱাক মতাই আনি ক'লে, "বহুৱা, এই আঁচটো দেখিছ? ই এটা সৰল ৰেখা। নমচাকৈ ইয়াক চুটি কৰি দেখুৱাব লাগে। পাৰিলে পুৰস্কাৰ পাবি, নোৱাৰিলে কটা যাবি।"

বহুৱাই মূৰ খজুৱাই খজুৱাই এটা বুদ্ধি উলিয়ালে আৰু ক'লে, "মহাৰাজ, ইনো কি ডাঙৰ কথা?" এই বুলি সি সেই আঁচটোৰ কাষতে আৰু এটা অবিকল তেনেকুৱা কিন্তু আগৰটোতকৈ দীঘল ৰেখা মাটিত আঁকিলে। তাৰ পিছত সি ক'লে, "মহাৰাজ, এই দুটাৰ এতিয়া কোনটো চুটি? আপোনাৰটো নে মোৰটো? আগৰটো নে পাছৰটো?" ৰজাই ক'লে, "আগৰটো।" বহুৱাই কলে,—"তেনেহলে আপোনাৰ আঁচটো নমচাকৈয়ে মই চুটি নকৰিলোঁ নে?"

ৰজাই বহুৱাৰ বুদ্ধি শলাগিলে। পণ্ডিতসকল বেবুৰা লাগিল। ৰজাই ক'লে, 'ঠিকেই। তুলনাতহে ডাঙৰ-সৰু ধৰা পৰে। নহলেতো সকলোৱে ডাঙৰ অথবা সকলোৱে সৰু।" তোমালোকৰো সবলোটি একে নহৰৰ যেতিয়া, কাক সৰু পাতিবা? তাকেই কয়—"কাকনো বুলিবা কৰা; বোলে সকলোৰে ডাঢ়ি-চুলি পকা।"

— — —

বেঙৰ নাকত খৰে খালে

পৰৰ ঘৰত ভুক্তি লগাই খোৱা মানুহ আমাৰ মাজত বহুত আছে। কথাতে কয় বোলে, "পৰৰ ঘৰত জৰৰ গাৰেও খোৱা।"

তাহানি ভৰলুমুখত ঠিক তেনে প্ৰকৃতিৰ এজন লোক আছিল। কথাইচ

কৃপণ বুলি তেওঁক জানিবলৈ সেই অঞ্চলত কোনো বাকী নাছিল। আনৰ ঘৰলৈ গলে তেওঁ জুতি লগাই খায় আৰু নিজৰ তালৈ কোনোবা আহিলে যিমান সোনকালে পাৰে সিমান সোনকালে বিদায় দিবলৈ চায়। তেওঁৰ এটা অভ্যাস আছিল যে আবেলি হলে তেওঁ ৰুটি আৰু মৌ খায়। তাৰ বাবে খৰচ হৈছিল; তালৈ কিন্তু তেওঁ বৰকৈ মন কৰা নাছিল।

এদিনাখন আবেলি সময়ত কৃপণে এবাটি মৌ আৰু এডোখৰ ৰুটি উলিয়াই লৈ খাবলৈ বহিছে, এনে সময়তে বাহিৰত কোনোবা মানুহৰ মাত শুনিবলৈ পালে। তেওঁ লৰালৰিকৈ ৰুটিডোখৰ লুকালে, কিন্তু মৌৰ বাটিটো লুকাব খোজোঁতেই বাহিৰৰ মানুহজন সোমাই আহিল। কৃপণে মনে মনে ভাবিলে, 'যি হওক ৰুটি টুকুৰা লুকাই থলোঁ, এতিয়া ৰুটি নহলে কোনেও অন্ততঃ শুদাই মৌ নাখাব।' এই ভাবি মূৰ দাঙি চাই তেওঁ দেখে যে ঘৰলৈ সোমাই অহা মানুহজন তেওঁৰে এজন বন্ধু। এই বন্ধুজনে কৃপণৰ স্বভাৱ ভালকৈ জানে। কৃপণে বন্ধুজনক বহিবলৈ আসন দিলে।

দুয়ো বহিলত কৃপণে কলে, "বন্ধু, ৰুটি থকা হলে মৌৰে খাব পাৰিলা-হেঁতেন।" বন্ধুজনে তেওঁক ৰুটি লুকাই থোৱা দেখিছিল। তথাপি তেওঁক ভদ্ৰতাৰ খাটিৰত ৰুটিৰ কথা নকলে। কিন্তু ভাবিলে যোলে দুলেৰেহে দুল কাঢ়িব লাগে। সেই কাৰণে তেওঁ কলে, "হয়নে বন্ধু, এইয়া মৌহে নে? কেনেনো চাওঁচোন—ৰুটি নোহোৱাকৈ শুদাই কেনেকুৱা লাগে! আজি-কালি মই আকৌ ৰুটি খাবলৈ এৰিছোঁয়ে।" এই বুলি তেওঁ মৌ বাটি তুলি লৈ পিবলৈ ধৰিলে।

কৃপণ নিৰুপায় হ'ল। তেওঁ তত্তালিকে কলে, "এহ বন্ধু, কি কৰিলা? নাখাবা; ইয়াক খালে বুকু পোৰে। বৰকৈ বুকু পুৰিব।" বন্ধুয়ে কলে, "বুকু পুৰিব কাৰ—মোৰ নে তোমাৰ? মোৰ বাৰু পোৰক। তোমাক দুঁপুৰিলেই হ'ল।" এই বুলি তেওঁ মৌ-বাটি পি খাই পেলালে।

এনেকুৱা কথাকেই আমাৰ কয় যোলে, "চোৰকো মোৰে পোৱা, জো-কো মাৰবে খোৱা।"

পুতলাৰ বিচাৰ

বিক্ৰমাদিত্য ৰজাৰ সভাত থকা পণ্ডিতসকলৰ মাজত কালিদাস আছিল সৰ্ব্বশ্ৰেষ্ঠ। সেই কালত বাহু-বলেৰে যিদৰে দেশজয় কৰা হৈছিল, বুদ্ধি-বলেৰেও সেইদৰে দিগ বিজয় কৰাৰ প্ৰথা আছিল। সেই হেতুকেই প্ৰত্যেক ৰজাৰ সভাত কিছুমান বিখ্যাত বিখ্যাত পণ্ডিতক ভৰণ-পোষণ দি খুৱাই-বুৱাই বুদ্ধি আৰু পাণ্ডিত্য প্ৰকাশৰ কাৰণেই ৰখা হৈছিল। মহাৰাজ বিক্ৰমাদিত্যৰ সভাতো তেনেকুৱা যি ন-গৰাকী বিখ্যাত পণ্ডিত আছিল তেওঁলোকক নৱ-ৰত্ন বুলিছিল। তেওঁলোকৰ ভিতৰত কালিদাস আছিল জাকত-জিলিকা।

এদিন ওচৰৰে আন এজন ৰজাই বিক্ৰমাদিত্যৰ সভালৈ তিনিটা ধুনীয়া কাঠৰ পুতলা দি পঠালে। পুতলা কেইটা মানুহৰ গঢ়ত সজা; এটা যেনে আনটোও ঠিক তেনে। তাৰতম্য অকণো নাই। সেই একে মুখ, একে নাক, একে ভৰি, একে হাত। ৰজাই প্ৰশ্ন কৰি পঠাইছে, এই তিনিটাৰ ভিতৰত কোনটো উত্তম, কোনটো উদাসীন আৰু কোনটো অধম? অৰ্থাৎ কোনটো ভাল, কোনটো লাগবান্ধ নথকা আৰু কোনটো বেয়া।

ৰজা বিক্ৰমাদিত্যাই পুতলাকেইটা চালে। ঘূৰাই ঘূৰাই চালে। লুটি-য়াই বগৰাই চালে। কিন্তু দেখিলে সকলোটি যেন একেটি সাঁচতে গঢ়া; পাৰ্থক্য অকণো নাই। ওখই এটা যিমান আন দুটাও সিমান। ধুনীয়া এটা যিমান, আন দুটাও সিমান।

সেইদিনা সভাত কিবা কাৰণত কালিদাস উপস্থিত নাছিল। ৰজাই সভাৰ পণ্ডিতসকলৰ হাতত পুতলাকেইটি দি প্ৰশ্নৰ উত্তৰ দিবলৈ ক'লে। পণ্ডিতসকলে পুতলাকেইটা লিৰিকি বিদাৰি চাই চিন্তা কৰি থাকিল।

এইদৰে এদিন গ'ল। দুদিন গ'ল। তিনি দিন গ'ল। তথাপি প্ৰশ্নৰ উত্তৰ পণ্ডিতসকলে দিব পৰা নাই। তেওঁলোকৰ মুখ শুকাই গ'ল। শেষত লাজ-কাজ কাতি কৰি থৈ তেওঁলোক গৈ কালিদাসৰ ওচৰ চাপিল।

কালিদাসে পুতলাকেইটা এবাৰ চালে আৰু কলে "বাৰু, পুতলাকেইটা আজি মোৰ হাতত থাকক। কালিলৈ সিহঁতৰ বিচাৰ হবই হ'ব। মই আজি ইহঁতৰ লগত কথা পাতিম।" পণ্ডিতসকল আচৰিত হ'ল যদিও, কিছু আশ্বস্ত হ'ল। কাৰণ কালিদাসৰ ওপৰত ৰজা-প্ৰজা, জ্ঞানী-মানী, চহা-চহকী সকলোৰে সমান বিশ্বাস।

সেইদিনাৰ ভিতৰতে কথাটো ফাটিফুটি গ'ল। পিছদিনা ৰাজসভাত মানুহ ভৰি পৰিল। কালিদাসে কিদৰে একে পুতলাকেই উত্তম, অধম আৰু উদাসীন বুলি নাম দিয়ে তাক চাবলৈ অকল ৰজা-ৰাণী, মন্ত্ৰী-পাৰিষদ আদি লোকসকলেই নহয়, ৰাজ্যৰ বুঢ়া-মেঠা, সাধু-ভকত আদি লোক সকলো আহিল আৰু সভাঘৰ ভৰি পৰিল।

যথা সময়ত হাতত পুতলা কেইটা লৈ কালিদাস সভাত উপস্থিত হ'লহি। তেওঁ পুতলা তিনিটাৰ এটাৰ গাত লিখিছে উত্তম, এটাৰ গাত লিখিছে উদাসীন আৰু আনটোৰ গাত লিখিছে অধম।

ৰজাই কালিদাসক প্ৰশ্ন কৰিলে—"আপুনি কিদৰে বাৰু পুতলাবোৰৰ বাছনি কৰিলে? উত্তম, অধম কিদৰে নিৰ্ণয় কৰিলে?"

তেতিয়া কালিদাসে অকণমান কুটা এডাল হাতত লৈ কলে, "মহাৰাজ চাওঁক, প্ৰত্যেকটো পুতলাৰ মানুহৰ কাণত থকাৰ দৰে কাণৰ ভিতৰেদি ফুটা আছে। এই ফুটাইদি মই এতিয়া এইডাল কুটা সুমুৱাই দিম চাব।" এইবুলি তেওঁ কুটাডাল প্ৰথমে উত্তম বুলি লিখি থোৱা পুতলাটোৰ কাণত ভৰাই দিলে। সি ভিতৰলৈ নগ'ল। তেওঁ কলে, "আনৰ কথা শুনি নীৰবে থকা এওঁৰ স্বভাৱ। তেওঁ নিজে ভাবে আৰু কাম কৰে। সেয়ে এওঁ উত্তম লোক।

তাৰ পিছত কালিদাসে উদাসীন লেখা পুতলাটোৰ কাণত কুটাগছ সুমুৱাই দিলে। দেখা গ'ল কুটাডাল ইকাণেদি সোমাই সিকাণেদি ওলাই গ'ল। কালিদাসে তেতিয়া কলে, "দেখিলে নহয়। এওঁ আনৰ কথা ইকাণেদি শুনি সিকাণেদি উলিয়াই দিয়ে, অৰ্থাৎ কথাবোৰ পাহৰি যায়। কাৰো কথাই তেওঁৰ মনত নাথাকে। এওঁ হ'ল নিৰ্বিকাৰ প্ৰকৃতিৰ লোক —উদাসীন।"

তাৰ পিছত তৃতীয় পুতলাটো হাতত লৈ কালিদাসে ক'লে, "চাওঁক আকৌ।" এই বুলি তেওঁ কুটাডাল ইটো পুতলাৰ কাণৰ ভিতৰৰ বিন্ধাইদি ভৰাই দিলে। কুটাডাল এইবাৰ মুখেদি ওলালহি। তেতিয়া কালিদাসে ক'লে—"এওঁ অধম প্ৰকৃতিৰ লোক। তেওঁ আনৰ কথা শুনি চাৰিওফালে কৈ ফুৰিবলৈ থাকিব নোৱাৰে। এই প্ৰকৃতিৰ লোকে ঘিৰী ভাঙে, সমাজ নষ্ট কৰে। খেলৰ ভিতৰত এনে লোকক টুটকীয়া বা ঘিৰী-ভঙা লোক বোলে।"

কালিদাসৰ বুদ্ধি সকলোৱে শলাগিলে। সকলোৱে উত্তৰ পাই আনন্দ পালে আৰু বিক্ৰমাদিত্যৰ সভাৰ পণ্ডিতসকলে ভূৰি ভূৰি প্ৰশংসা কৰিলে।

কলা জোঁৱাই আৰু বেমাৰী শহুৰ

কোনো এটা জোঁৱাই ল'ৰা বিয়াৰ বছৰ-চেৰেকৰ পিছত কলা হ'ল। কলাও কলা ধুম্-কলা। কাষত জয়ঢোল কোবাই থাকিলেও সি কাণেৰে নুশুনে।

এদিন ঘৈণীয়েকে তেওঁক কলে, "শুনিলৌঁ, পিতাৰ বোলে টান নৰিয়া। এবাৰ খবৰ লৈয়ে নাহেগৈ কিয়? নিজে যেখোন ঘৰ ঘৰৰ জোঁৱাই ল'ৰা আছিল।"

কথাটো শুনি জোঁৱায়েকে ভাবিলে—'এৰা, এটা উপাই উলিয়াব লাগিল। পৰীক্ষাৰ সময়ত ল'ৰাই প্ৰশ্ন বাছি পঢ়াৰ দৰে ময়ো কেইটা-মান উত্তৰ ঠিক কৰি লওঁ।'

এইদৰে চিন্তা কৰি তেওঁ ভাবিলে—'মই গৈ প্ৰথমে শহুৰ দেউতাক সুধিম; "এতিয়া কেনে পাইছে?" তেওঁ তেতিয়া নিশ্চয় অলপ ভাল পোৱা বুলিবই। মই তেতিয়া অলপ আনন্দ প্ৰকাশ কৰি আকৌ সুধিম—"ঔষধ কি খাইছে?" তাৰ উত্তৰত যেতিয়া দেউতাই ঔষধৰ নাম কব, মই তেতিয়া কম—"ইয়াতকৈ আপোনাৰ কাৰণে আৰু ভাল ঔষধ নহব। উপযুক্ত ঔষধ পৰিছে।' তাৰ পিছত সুধিম, "ডাক্তৰ কোনে চাইছে?"

তেতিয়া তেওঁ কোনোবা ডাক্তৰৰ নাম কব। মই তেতিয়া কম—"বৰ বঢ়িয়া হৈছে। সেই ডাক্তৰেই আপোনাৰ কাৰণে ঠিক হব।"

মনত এইদৰে ঠিক ঠাক কৰি যথাসময়ত কলা জোঁৱাই বেমাৰী শহুৰৰ ঘৰলৈ গ'ল। তেওঁ গৈ আগতে পাতি থোৱা মতে শহুৰেকক সুধিলে, "দেউতা, এতিয়া নো কেনে পাইছে?"

বেমাৰী এনেয়ে ৰোগত খিট্‌খিটীয়া হৈ আছিল, তাতে আকৌ কেনে পাইছে বুলি সোধাত বিৰক্ত হৈ কলে, "কেনেনো পাম? দিনে দিনে দিন গণি আছোঁ। কণা যম কেতিয়া আহে তাৰ বাবেহে বাট চাই আছোঁ।"

কলাই ভাবিলে 'শহুৰেকে নিশ্চয় ভাল পোৱা বুলি কৈছে।' এই ভাবি তেওঁ কলে, "শুনি বৰ সুখ পালোঁ; দেউতা, বৰ সুখ পালোঁ।"

কথা শুনি বেমাৰী শহুৰেকৰ খঙে মূৰৰ চুলি পালেগৈ। তথাপি নিজৰেই জোঁৱায়েক ভাবি নামাতি তেওঁ নীৰৱে থাকিল।

তেতিয়া জোঁৱাই ল'ৰাই আকৌ সুধিলে—"পিছে দৰব জাতিৰ বা কি ব্যৱস্থা হৈছে?"

শহুৰেকে উত্তৰ দিলে—"কিনো হব? গৰুই খোৱাৰ দৰে কবিৰাজে দিয়া ঘাঁহ এসোপাকে সদায় হাক বুলি খাব লাগিছোঁ। কবিৰাজো নাহে। ল'ৰা-তিৰোতাইতে মোক গৰু যেন পাই একেসোপা ঘাঁহকে হাকৈ সদায় খুৱাব লাগিছে।"

কলাই ভাবিলে—'শহুৰে নিশ্চয় কিবা ভাল ঔষধৰ নাম কৈছে।' গতিকে তেওঁ কলে, "বৰ উত্তম ব্যৱস্থা হৈছে। বহুত দিন বেমাৰত ভুগিছে; আপোনাৰ কাৰণে সেয়ে ঠিক ঔষধ হব। খাবলৈ ভাল নালা-গিলেও জোৰ কৰি তাকে খাই থাকিব।"

বেমাৰী অধৈৰ্য্য হ'ল। তাহানি অন্ধ ধৃতৰাষ্ট্ৰ ৰজাই ভীমৰ মূৰ বুলি লোহাৰ ভীমৰেই মূৰ হাতেৰে মুচৰি গুড়ি কৰাৰ দৰে বেমাৰী শহুৰেকেও পাৰিলে জানো, অকবা জোঁৱায়েকৰ মূৰটো ছিঙি পেলাব এনে অনুভৱ কৰিলে। তেওঁ এবো নামাতি দাঁত কামুৰি হৈ থাকিল।

তেতিয়া জোঁৱায়েকে আকৌ সুধিলে—"কোন ডাক্তৰে নো চাইছে বু'—
বুঢ়াই খঙত [illegible] কলে—"তোমাক যাৰ আক নো? যম, [illegible]

চাই আছে। কোন দিনা নিব পাৰে তাকে তেওঁ চাই আছে।’’

জোঁৱাই ল’ৰাই কলে—“সেয়ে ঠিক হৈছে। আপুনি বহুত দিন বেমাৰত ভুগিলেও নহয়! এতিয়া তেৰেঁই নিশ্চয় সোনকালে ঠিক কৰি দিব! আমিও সেই খবৰৰ কাৰণেই আনন্দেৰে বাট চাই আছোঁহক।”

বুঢ়াই এইবাৰ সহ্য কৰি থাকিব নোৱাৰিলে। তেওঁ বিছনাৰ পৰা কোনোমতে উঠি বহিল আৰু ওচৰৰ পৰা টোকানডাল আনি হাতত ললে। জোৱাঁয়েকে ভাবিছিল বুঢ়াই হয়তো গা ভাল পাই জোৱাঁয়েকক আদৰিবলৈ উঠি যাব খুজিছে হবলা। তেওঁ অন্যমনস্ক হৈ বহি থাকিল।

বুঢ়াই ইফালে টোকানডাল লৈ জোৱাঁয়েকক ভালকৈয়ে কোব কেইটা-মান সোধালে। কোব পাই জোৱাঁই ল’ৰায়ো ককালত কোব খোৱা কুকুৰৰ দৰে মুখেৰে কিৰাকিৰি কৈ পলাই পত্তং দিলে।

জোঁৱাই ল’ৰাই ঘৰ পাই ভাবিলে—দৈব দুৰ্ব্বিপাকতে এই সকলো-বোৰ ওলট-পালট হ’ল। ঘৈণীয়েকক হলে তেওঁ এই ঘটনা কোনো দিন নকলে।

বামুণৰ বিচাৰ

পুৰণি কালৰ কথা। সকলো দেশৰে অৱস্থা তেতিয়া আছিল জয়জয়-ময়ময়। বামুণসকলৰ আনন্দ চায় কোনে? তেওঁলোকে আশীৰ্ব্বাদ দিয়েই অজস্ৰ ধন-সম্পত্তি পাইছিল। তেনেকৈ এজন বামুণে ধনঃসোণ গোটাই লৈ বৰ ধনী হৈছিল বুলি সেই সময়ত চাৰিওফালে গুজৱ উঠিছিল। বামুণে কিন্তু মানুহৰ চকুত ধূলি দিবলৈ ঘৰ-দুৱাৰবোৰ ভাল নকৰি [illegible] ভাবেই ৰাখিছিল।

বামুণৰ থকা ঘৰটো আছিল খেৰৰ। তাৰ বেৰবোৰত জাউৰীৰে [illegible] দিয়া আছিল। খিৰিকীৰ পৰিবৰ্তে চাৰিওফালে বেৰত এফোটাকৈ [illegible]

ৰখা হৈছিল। আৰু সেই বিন্ধাইদি মানুহে কথমপি মূৰটোমাত্ৰ সুমাব পাৰিছিল।

এদিন এটা চোৰে গৈ বামুণৰ ঘৰত সোমাবলৈ আলেখলেখ চাই আছিল। চোৰে ঘূৰিপকি চাই দেখে বামুণৰ ঘৰৰ খিৰিকীয়েদি কোনোমতে মূৰ সুমাই দি ভিতৰৰ বস্তু-বাহানি চাব পৰা যায়।

বামুণ টোলৰ পৰাৰ উভতি নহাৰ উমান লৈ সি খিৰিকীয়েদি মূৰটো লাহেকৈ সুমাই দি ভিতৰত ইফালে সিফালে কি আছে চাবলৈ ধৰিলে। কিন্তু দুৰ্ভাগ্যৰ কথা—খিৰিকীয়েদি মূৰ সুমাই সেইদৰে লৰচৰ কৰোঁতে হঠাৎ উৰলি গুৰুণ ওপৰৰ বেৰখন খহি আহি চোৰৰ ডিঙিত চেপামাৰি ধৰিলে। চোৰে নানা প্ৰকাৰে যত্ন কৰিও ইফালে সিফালে হব নোৱাৰিলে। কোট্ কোট্ শব্দ কৰি থাকি অলপ সময়ৰ ভিতৰতে সি মৰি থাকিল।

পিছদিনা বামুণে মানুহ মাৰিলে বুলি গোটেই দেশত বতৰা বিয়পি পৰিল। ৰজাৰ চ'ৰাত বামুণৰ বিচাৰ হ'ল। ৰজাৰ বিচাৰত বামুণে মানুহ মৰাটোৰেই সাব্যস্ত হ'ল। ৰজাই বামুণৰ শিৰচ্ছেদৰ আদেশ দিলে। লগতে দুদিনৰ সময় দি সেই দুদিনৰ ভিতৰতে বামুণক ইচ্ছামতে খাই লবলৈ আৰু দান-পুণ্যাদি কৰি লবলৈ সুযোগ দিলে।

বামুণে ভাবিলে—'মৰণ ওচৰ চাপিল যেতিয়া তাৰ হাত সাৰিবলৈ যত্ন কৰা বিফল। আয়-কালত ব্যয় নাই, মৰণ কালত আহুদি নাই। তথাপি কথা এটা আছে বোলে—নমৰে মানে চাঁবি, নুবুৰে মানে বাবি।—গতিকে চোৱা যাওকচোন। কিজানিবা বিধি তুষ্ট হয়েই।'

বামুণে ৰজাৰ বৈদ্যজনক মতাই আনি কলে, "দেউ, আমি সগোত্ৰৰ লোক। পাৰিলে মোক তুমি ৰক্ষা কৰা। গুণ নহলেও ধৰ্মনো ক'লৈ যাব ?"

বৈদ্যজনে কলে, "কি উপায়েনো ৰক্ষা কৰোঁ ? মই যেথোন উপায়কে দেখা নাই।"

বামুণে তেতিয়া জোলোঙাৰ পৰা কুৰিটা সোণৰ মোহৰ উলিয়াই বৈদ্যৰ হাতত দি কলে,—"লৈ থোৱাচোন। বাচিব পাৰিলে আৰু কুৰিটা পিছত দিম। সম্প্ৰতি তুমি আৰু এই কুৰিটা সোণৰ মোহৰ কটোৱাল দুটাক ভগাই দি এইদৰে বুধি এটা দিবা—।" এইবুলি বামুণে আৰু কুৰিটা মোহৰ বৈদ্যক দি কাণে কাণে কিবা কিৰি কিছু কলে।

বামুণৰ শিৰচ্ছেদৰ সময় আহিল। কটোৱালহঁতে বামুণক বধ্যভূমিলৈ লৈ গ'ল আৰু তাতে তেওঁক খলিৰ পঠাৰ দৰে বান্ধি থৈ ৰজাৰ আদেশলৈ দুয়ো দৌৰ দিলে। বামুণো হাঁহিমুখেই থাকিল। খাপ্পহঁতিলাকে বামুণক হাঁহিমুখে দেখি কোৱাকুই কৰিলে—

'আজন্মি খলিৰ দেখো গৰ্ভঃ যায় গেলি।
আজিৰ বলিয়ে দেখো হাসে খলখলি।।'

কটোৱালহঁতে দুয়ো একে সময়তে হেতা-ওপৰাকৈ ৰজাক কলে—"মহাৰাজ, বামুণক এৰি দি আজিৰ দিনটোত মোৰহে শিৰচ্ছেদ কৰাওক। মোৰহে শিৰচ্ছেদ কৰাওক।" দুয়োটা কটোৱালৰ মাজত কোনটো আগে কটা যাব তাকে লৈ সিহঁতৰ উথনা-উথনি লাগিল।

ৰজাই ভাবিলে—'কি আচৰিত কথা! মৰিবলৈও নো মানুহে এইদৰে হেতা-ওপৰা কৰেনে?' তেওঁ সিহঁতক তেনে কৰাৰ কাৰণ সুধিলে। সিহঁতে কলে—"মহাৰাজ, দৈৱজ্ঞৰ পৰা জানিব পাৰিছোঁ আজিৰ দিনত ৰজাৰ বধ্যভূমিত পোনতে যাৰ শিৰচ্ছেদ হব তেওঁ দহ বছৰৰ ভিতৰতে পুনৰ্জন্ম লাভ কৰি মহাৰাজৰ পিছতে ৰজা হবহি। দ্বিতীয়তে যাৰ শিৰচ্ছেদ হব, তেওঁ ৰাজবিষয়া হব।"

ৰজাই দৈৱজ্ঞক মতাই আনি এই কথাৰ অৰ্থ কি সুধিলে। দৈৱজ্ঞয়ো একে আখৰে কৈ গলে—"হয় মহাৰাজ, জ্যোতিষে তাকেই কয়।"

ৰজাই ভাবিলে—তেনেহলে দেখিছোঁ, মোৰ এই সিংহাসন হয় বামুণৰ হাতত পৰিব, নহয় কটোৱালৰ হাতত। সেইটো কেতিয়াও হব দিব নোৱাৰি। এইদৰে ভাবি-চিন্তি তেওঁ কলে, "তেনেহলে মইয়েই পুনৰ্জন্ম লৈ সিংহাসন ৰাখিম। এই পাপীহঁতৰ হাতলৈ যাবলৈ কিয় দিম?" এই বুলি তেওঁ মন্ত্ৰীক ৰাজ্যভাৰ দি মৰিবলৈ সাজু হ'ল আৰু বধ্য-ভূমিলৈ গ'ল।

দৈৱজ্ঞই ভাবিলে,—কথা বিষম। এতিয়া তেওঁৰো সাধুৰ ধোৱা বাহিৰ ওলাবলৈ যায়; ভবিষ্যতৰ ভিতৰচৰ মৰে। তেওঁ কলে, "মহাৰাজ, ক্ষমা কৰক। আকৌ ভালকৈ গণনা কৰি চাওঁ, ইয়াৰ কিবা এটা ভুল আছে নেকি?" এইবুলি তেওঁ গণনা আৰম্ভ কৰিলে আৰু কিছুমান গণনা কৰি চাই কলে, "মহাৰাজ, গণনাত ভুল হোৱা নাই।" কিন্তু সাধুত আছে

শিৰচ্ছেদ নকৰি বধ্যভূমিত 'মণ্ডন' কৰিলেও হব। অৰ্থাৎ মহাৰাজে যদি পৰজন্মতো সিংহাসন নিজৰ কাৰণে ৰাখিব খোজে তেন্তে আজিৰ তিথিত বধ্যভূমিত মূৰ খুৰালেও হব।"

ৰজাই তাকেই কৰিবলৈ মান্তি হ'ল। যথা সময়ত বধ্যভূমিত নাপিতে ৰজাক মূৰ খুৰাই দিলে। মূৰ্খ ৰজাৰ মূৰ্খামিৰ শাস্তি হ'ল। বামুণ বুদ্ধিৰ বলেৰে এইবাৰলৈ বাচিল। ৰজাই বামুণ আৰু কটোৱালহঁতক ধনবস্ত্ৰ পুৰস্কাৰ দি বিদায় দিলে।

পৰীক্ষা

তোষামোদকেই কোনো কোনোৱে খোচামোদো বোলে। তোষামোদ ভাল নাপায় এনে লোক জগতত কোনো নাই। সকলোৱে কম-বেছি পৰিমাণে তোষামোদ বা চাটু কথা ভাল পায়েই। মানুহ নালাগে, দেৱতায়ো তেনে চাটু কথা শুনিবলৈ হাবিয়াহ কৰে। পূজাৰ স্তুতিবোৰো চাটু কথাৰেই এটা ৰূপ। আজি-কালি বৰলোকক দিয়া অভিনন্দন-পত্ৰবোৰো সেই একে শ্ৰেণীৰে বস্তু।

ৰজা নৰনাৰায়ণৰ দিনৰ কথা। এবাৰ ৰজাই মনে মনে কিবা এটা কথাৰ পৰীক্ষা চাবৰ উদ্দেশ্যে নিজৰ নওৱাটোক আৰু পুৰোহিত বামুণক মাতি আনি কলে, "তোমালোক বাৰু সুখত থকা নাইনে? এই সুখ কোনে দিয়া বুলি ভাবা?"

পুৰোহিত বামুণে কলে, "মহাৰাজ, কোনে দিব আৰু? আমিনো অকৃতজ্ঞ হব পাৰোঁনে? মহাৰাজেই দিছে। মহাৰাজে নিদিলে আনে দিব পাৰেনে?"

নওৱাই কলে, "মহাৰাজ, মোৰ মনেৰে হলে ভগৱানেহে সকলো দিছে। ভগৱানৰ ওপৰত কোন আছে? তেওঁহে আপোনাকো সম্পত্তি দিছে।"

ৰজাই দুয়োটাকো বখানিলে, আৰু দুয়োকো দুটা বঁটা দি বিদায় দিলে। পুৰোহিতক ৰজাই দিলে এটা লাও আৰু লগুৱাক দিলে এটা ৰূপৰ পদক।

দুয়ো লাও আৰু পদক লৈ ঘৰলৈ গ'ল। বাটত যাওঁতে পুৰোহিতে ভাবিলে—'মইনো লাওটো নি কি কৰিম? সদায় শৰাধ-সকামত লাও-কোমোৰা কত পাওঁ।'' এই ভাবি লগুৱাক কলে, "লাওটো তুমিয়ে নিয়া। তাৰ পৰিবৰ্তে লাগিলে তোমাৰ ৰূপৰ পদকটোকে মোক দিয়া। তাকেই মই লগুণত গাঁঠি লৈ ফুৰিব পাৰিম। তুমিনো পদকটোৰে কি কৰিবা?"

লগুৱাই বামুণৰ কথা ঠিক পালে। সি ভাবিলে—বামুণে মোৰ ভালৰ কাৰণেই কৈছে। লাওটো নিলে তেও এসাজ খাবই পাৰিম। পদকটোৰে মই কি কৰিম?—এই ভাবি সি পদকটো লাওৰ সলনি সলালে।

ঘৰলৈ গৈ লগুৱাই লাওটো কাটি দেখে তাৰ ভিতৰত সোণৰ টুকুৰা ভৰি আছে। সি ৰজাৰ ওচৰলৈ লৰি আহিল আৰু ৰজাৰ আগত সকলো কথা বিৰৰি কলে।

ৰজাই তেতিয়া ভাবি চাই কলে, "সঁচাকৈয়ে মানুহৰ সুখ-দুখ সকলো ভগৱানেই দিয়ে। নহলে সোণভৰা লাওটো মই জানো লগুৱাক দিছিলোঁ? তথাপি সি গৈ তাৰহে হাতত পৰিল। গতিকে মানুহে ভগৱানত ভাৰসা ৰাখি কাম কৰি গলে ভগৱানে তাক সহায় কৰে।"

— x —

কাজিৰ বিচাৰ

তেতিয়া সমস্ত বঙ্গদেশ আছিল মুছলমানসকলৰ অধীনত। মৈমনসিংহ জিলাৰ চাৰিজন সদাগৰে সেই সময়ত একেলগে ধান আৰু মৰাপাটৰ বেপাৰ কৰিছিল। তেওঁলোকে গাওঁ-ভুঁইৰপৰা ধান আৰু মৰাপাট সংগ্ৰহ কৰি আনি একেলগে ভঁৰালত জমা কৰে আৰু দাম উঠিলে বিকে।

এবাৰ ওঁৱালবোৰত নিগনিৰ বৰ উৎপাত হ'ল। কান্দ পাতিলেও নিগনি কাণত নপৰে। তেওঁলোক চাৰিজন সদাগৰে তেতিয়া উমৈহতীয়াকৈ এটা মেকুৰী পুহিলে। মেকুৰীটোৱে ওঁৱালবোৰৰ নিগনি মাৰি উপাত কৰিবলৈ ধৰিলে। যি দুই-এটা নিগনি থাকিল সিহঁতো পলাই পত্ৰং দিলে।

সদাগৰ কেইজনে মেকুৰীটোক অতিকৈ মৰম আৰু আদৰ কৰিবলৈ ধৰিলে। আপতাৰৰ সুচলৰ কাৰণে মেকুৰীটোৰ চাৰিখন ঠেং চাৰিজনে ভগাই লৈ প্ৰত্যেকে একোখন ঠেঙৰ যত্ন লবলৈ ধৰিলে। প্ৰত্যেকে মেকুৰী-টোৰ ঠেঙত হীৰা-মুকুতাবোৰ আৰি দি তাক সজাই-পৰাই ৰাখে।

এদিন কৰবাত জাঁপ দি পৰোঁতে কিবা প্ৰকাৰে মেকুৰীটোৰ ঠেং এখন ভাগিল। যিজন সদাগৰৰ ভাগত সেই ঠেংখন পৰিছিল তেওঁ মনত বিষম বেজাৰ পালে আৰু দৰব-জাতি দি ভগা ঠেংখনত কাপোৰ মেৰিয়াই বান্ধি থলে।

এইদৰে কেইদিনমান গ'ল। মেকুৰীটো খোৰাই খোৰাই ইঘৰ-সিঘৰলৈ ফুৰিব পৰা হ'ল।

মেকুৰীটো সদায় ৰান্ধনি-ঘৰৰ আখাৰ মাজত শোৱে। শুবলৈ ফুলাম-তলিচা পাৰি দিলেও সি আখাৰ মাজৰ গৰম ছাইত শুইহে ভাল পায়। এদিন কেনেবাকৈ সেই ছাইত জুইৰ ফিৰিঙতি থকাত মেকুৰীটোৰ ঠেঙত বন্ধা কাপোৰত জুই লাগিল। সি তং নাপাই জপিয়াই জপিয়াই ওঁৱাল-বোৰৰ ওপৰত ফুৰিবলৈ ধৰিলে। তাতে মৰাপাত আৰু ধানৰ ওঁৱাল আটাইবোৰতে জুই লাগিল। ওঁৱালবোৰ পুৰি ছাই হৈ গ'ল। তাহানি হনুমন্তই লঙ্কাত জুই দিয়াৰ দৰে হ'ল।

যিজন সদাগৰৰ খোৰা ঠেংখন আছিল তেওঁক বাকী তিনিজনে ক্ষতি-পূৰণ দাবী কৰিলে; কিয়নো সেইখন ঠেঙত জুই লগাতহে ওঁৱালবোৰ পুৰিল। খোৰা ঠেঙৰ মালিক-সদাগৰে ক্ষতিপূৰণ দিবলৈ সন্মত নোহোৱাত সকলোটি কাজিৰ ওচৰলৈ বিচাৰৰ কাৰণে গ'ল।

“কাজিয়ে বিচাৰ আৰম্ভ কৰিলে। প্ৰত্যেকে ঘটনাৰ বিষয়ে নিজৰ বক্তব্য ক'লে। তাৰ পিছত তিনিজন সদাগৰে একেমুখে ক'লে যে খোৰা ঠেংখন যাৰ ভাগত আছিল তেওঁ বাকী তিনিজনক ক্ষতিপূৰণ দিব লাগিব; কিয়নো সেইখনৰ দায়িত্ব তেওঁৰ।”

কাজিয়ে ভাবিলে—'মস্কিল হ'ল। দোষ আচলতে জানো খোৰা-ঠেঙৰ গাত?' ভেণ্ড কলে, “নহয়, বিচাৰ তেনেকুৱা হব নোৱাৰে। খোৰা ঠেংখনতো খোৱাৰে। বাকী তিনিখন ঠেঙেহে খোৰা ঠেংখনক কঢ়িয়াই নি এইখন দুৰ্ঘটনা ঘটালে। গতিকে উচিত বিচাৰ কৰিলে বাকী তিনিজন সদাগৰেহে খোৰা ঠেঙৰ মালিকক ক্ষতিপূৰণ দিব লাগে!”

কাজিৰ বিচাৰত সভাসদ স্তব্ধ হ'ল। সদাগৰসকলে ভেণ্ডৰ বিচাৰ মানিবলৈ বাধ্য হ'ল। বিচাৰমতেই কাম হ'ল।

———

সন্ধিয়াৰ সাধু

শ্ৰীঅতুলচন্দ্ৰ বৰুৱা

প্ৰকাশক :
শ্ৰীবিধুভূষণ চৌধুৰী
অসমীয়া সাহিত্য মন্দিৰ
পোষ্টবক্স নং ১, শিলং

পৰিবেশক :
চপলা বুক ষ্টল
শিলং, অসম
[১৭০--১-২-৬৩]

প্ৰথম প্ৰকাশ : অক্টোবৰ ১৯৬৩

মূল্য : ৩·৫০ টকা

মুদ্ৰক :
শ্ৰীকালীচৰণ পাল
নবজীৱন প্ৰেছ
৬৬ গ্ৰে ষ্ট্ৰীট, কলিকতা—৬

শ্ৰীলক্ষ্মীনাথ দাস শহুৰ দেউতাৰ

কৰ-কমলত

আগকথা

সাধুকথা কোৱা আৰু শুনা মানুহৰ আদিম প্ৰবৃত্তি। বাল্য আৰু কৈশোৰ কালত এই প্ৰবৃত্তি সম্যকভাৱে প্ৰবল হয়। সাধুকথা জন সাহিত্যৰে এটা ডাঙৰ শাখা। ই মানুহৰ মুখে মুখে পৰম্পৰাভাৱে চলি আহিছে। এনেকৈ যুগৰপৰা যুগলৈ, জাতিৰপৰা জাতিলৈ, দেশৰপৰা দেশলৈ আৰু ভাষাৰপৰা ভাষালৈ মুখে মুখে বাগৰি যাওঁতে ই কোনো কোনো ক্ষেত্ৰত কেতিয়াবা ৰূপান্তৰ লাভ কৰাটোও তেনেই স্বাভাৱিক। সেই কাৰণেই বৌদ্ধ জাতকৰ আখ্যান ৰামায়ণ-মহাভাৰততো কিঞ্চিৎ পৃথক ৰূপত থকা পোৱা যায়।

সন্ধিয়াৰ সাধু তেনে আঠ-চল্লিচটা সাধুৰ সমষ্টি: তিনি খণ্ডত বিভক্ত। প্ৰথম খণ্ডত যোজনা-ফকৰাত থকাৰ দৰে একো একো শাৰী বচনত সোমাই থকা সাধুকথা তেত্ৰিশটা অন্তৰ্ভুক্ত কৰা হৈছে। 'উপকাৰীক অজগৰে খায়, তাৰ সাক্ষী ঢিঙঁতা নাই'; 'প্ৰহাৰেণ ধনঞ্জয়'—আদি কথাবোৰ মানুহৰ মুখে মুখে; কিন্তু এইবোৰত লুকাই থকা গল্পবোৰ শিশু কিয় ডেকাসকলৰো অনেকে নাজানে। এনেবোৰ গল্প বা আখ্যান শিশু-কালত নিশিকিলে পিছত শিকা টান হৈ পৰে। প্ৰথম খণ্ড তেনে সাধুকথাৰ সমষ্টি। দ্বিতীয় খণ্ডত কাশ্মীৰী সাধু, কছাৰী সাধু, আধুনিক সাধু আদি সাতোটা সাধু সন্নিবিষ্ট কৰা হৈছে। তৃতীয় খণ্ড 'হনুমন্তৰ লগত ৰাম-চন্দ্ৰৰ ৰণ'ৰ দৰে ৰহস্যপূৰ্ণ গোটাচেৰেক সাধুকথাৰ সংযোজনা। বৌদ্ধ জাতকৰ কথা হিতোপদেশ, পঞ্চতন্ত্ৰাদিতো সোমাই থকাৰ দৰে 'পুনৰ মূষিকো ভৱ', 'দন্ত ভগ্ন মস্তুণ্ডঃ' আদি সংস্কৃত আখ্যানবোৰো গাঁথ-

ছুঁয়ে সোমাই কেনেকৈ খাটি অসমীয়া হৈ পৰিছে ভাবিলে বিস্ময় মানিব লাগে। এইবোৰত সংস্কৃত পণ্ডিত আৰু টোলৰ প্ৰভাৱ পৰিলক্ষিত হয়। 'সন্তিয়াৰ সাধু'ত এনেবোৰ সাধুকথাও সংযোগ কৰা হৈছে। সংকলনটো কেনে হৈছে পাঠকৰ বিচাৰ্য্য।

চপলা সাহিত্য সদনে তপতে তপতে প্ৰকাশৰ ভাৰ গাত লৈ আমাক কৃতাৰ্থ কৰিছে। চপলাৰ এনে অসমীয়া সাহিত্য-সেৱা সুধীসমাজত সুবিদিত।

সাধুকথাবোৰ সুন্দৰকৈ নকল কৰি দিয়া কামত প্ৰীতিভাজন শ্ৰীমান উপেন্দ্ৰ চন্দ্ৰ বৰা আৰু মোৰ সহধৰ্ম্মিণী শ্ৰীমতী হিৰণ বৰুৱাই সহায় কৰিছে, আৰু কেঁচা-ছপা শুধৰোৱা কামত সুহৃদ্ প্ৰেমনাৰায়ণ দত্তই হাত উজাৰ দিছে। তেওঁলোক সবাবো ওচৰত হিয়া উবুৰিয়াই শলাগ যাচিলোঁ। ইতি

চান্দমাৰী, গুৱাহাটী
২।১০।৬৩

শ্ৰীঅতুলচন্দ্ৰ বৰুৱা

সন্ধিয়াৰ সাধু

অমৰা মৰে, নিজৰা জৰে,

নিধনী বুলি এটা বৰ দুখীয়া মানুহ আছিল। কপালৰ ঘাম মাটিত পেলাই সি কোনোমতে দুবেলা দুমুঠি খায়। এদিন এইদৰে কষ্ট কৰি থাকোঁতে তাৰ মনত খেলালে—বোলে কণা বিধাতাই মোক ধন-সোণ, টকা-কড়ি নিদিলে নাই, নামটোও দিলে নিধনী। এনে কষ্ট খাই সংসাৰত থকাতকৈ মৰাই ভাল।

এনেকৈ মনতে বিমৰিষ কৰি থাকি হাবিয়ে-বননিয়ে ওলাই যাবলৈ মনস্থ কৰি সি ধৰফৰা ওলাই গ'ল। কিছুদূৰ গৈয়ে সি গাঁৱৰ গাঁও-বুঢ়াক লগ পালে। নিধনীৰ মুখখন দেখিয়ে গাঁওবুঢ়াই ভাবিলে—ইয়াৰ আজি নিশ্চয় কিবা দুৰ্ঘটনা হৈছে। তেওঁ জেতিয়া সুধিলে—'নিধনী, তোৰ দেখোন আজি মনটো মৰা! ক'ৰবাত কিবা দায়-জগৰ লগাইছ নেকি?'

নিধনীয়ে নিজৰ দুখ-দুৰ্গতিৰ কথা কলে; নিজৰ নিধনী নামটোৰ কাৰণেও খেদ কৰিলে। গাঁওবুঢ়াই নিধনীৰ লগতে কথা পাতি যাবলৈ ধৰিলে।

কিছু দূৰ গৈ দুয়ো এজোপা শুকান গছ দেখিলে। গাঁওবুঢ়াই সুধিলে—

—'এইডাল কি গছ নিধনী?'

—'গাঁওবুঢ়া ককাই, এইডাল অমৰা গছ।' নিধনীয়ে কলে।

—'হয়নে? অমৰা বৰি দেখোন ই মৰি শুকাই আছে?' গাঁওবুঢ়াই সুধিলে।

'হয়! কথাটো দেখোন কেনে! নিধনীও কলে। দুয়ো আকৌ যাবলৈ ধৰিলে।

আৰু কিছু দূৰ গৈ দুয়ো এখন পাহাৰৰ দাঁতিত এটা নিজৰা দেখিলে। সৰু পৰ্বতীয়া নিজৰা। দুয়ো খন্তেক ৰৈ তাৰ নিৰ্মল পানীত হাত-মুখ

মুই হাতৰ চলুত পানী খালে। তাৰ পাছত গাঁওবুঢ়াই কলে—'এইটোৰ নাম কি নিধনী?'

—'ইয়াৰ নাম নিজৰা।'

—'নিজৰা যদি দেখোন ই সৌ শিলটোৰ কাষেদি জিৰ্‌জিৰ্‌কৈ ঝৰি ওলাইছে। ই আকৌ নিজৰা নাম পালে কেনেকৈ?'

নিধনীয়ে কলে—'হয়, কেনে কথা দেখোন!' আকৌ দুয়ো কথাই-বাতে বাবলৈ ধৰিলে। এইবাৰ আকৌ পথাৰত হাল বাই থকা হালোৱা এটা দেখি গাঁওবুঢ়াই সুধিলে—'ভাইটি, তোমাৰ নাম কি?'

—'মোৰ নাম মৰা।'

—'মৰায়ো হাল বায় নে ঐ আকৌ?'

—'এৰা, খাই লৈ থাকিবলৈ হলে মৰায়ো হাল বাব লাগিব, তাত আচৰটো কিহৰ? মোৰ নামটোহে মৰা, মই জানো মৰা মানুহ?'

কথাটো শুনি নিধনী আৰু গাঁওবুঢ়া দুয়ো অলপ হাঁহিলে আৰু পুনৰ বাবলৈ লাগিল। অলপ দূৰ গৈয়ে এইবাৰ তেওঁলোকে এজনী জাকৈয়া ছোৱালী দেখিলে। ছোৱালীজনী প্ৰতিমাৰ দৰে ধুনীয়া, কিন্তু বেচেৰীৰ পিন্ধা কাপোৰহে তেনেই ফটা-ছিটা। কি ছোৱালীৰ কি গতি বুলি দুয়োৰো মনত অলপ দুখো উপজিল। নিধনীয়ে এইবাৰ নিজেই সুধিলে—'আই, তোমাৰ নাম কি, ক'ত থাকা?'

ছোৱালীজনীয়ে টপৰাই উত্তৰ দিলে—'মোৰ নাম লখিমী। মই এই গাঁৱতে থাকোঁ।' গাঁওবুঢ়াই কলে—'নিধনী, ই দেখোন কেনে কথা? নামত লখিমী, কামতো লখিমী, পিন্ধে কিন্তু ফটাকানি! নামটো দিয়ে হওক, কামহে লাগে; নহয় জানো, নিধনী?'

নিধনীয়ে তেতিয়া কলে—'হয় দেওৰে। তেন্তে মোৰো নাম ঠিকেই থৈছে। মই ধনী নাম নলওঁ, দুখহে হয়।'

তেতিয়া গাঁওবুঢ়াই চোলোখ এটা মাতি কলে—'শুনা নিধনী, তুমি দেখুন আজিৰপৰা মানুহক কবা—

'অমৰা মৰে, নিজৰা ৰবে, মৰাই বায় হাল।
লখিমীৰ টিকাত ফটাকানি, মোৰ নাম নিধনীয়ে ভাল!

উপায় গ'ল ওপৰলৈ

এক আছিল গভাইত চোৰ। সি ধৰা নপৰে আৰু পৰিলেও কিবা বুধি কৰি য'তে থয় তাৰপৰায়ে পলাই পত্রং দিয়ে।

এদিন এঘৰত চুৰ কৰিবলৈ বেৰ-কাটি সি ঘৰৰ ভিতৰ সোমাল। এনেহে ঈশ্বৰৰ ইচ্ছা—গিৰিহঁতে গম পালে আৰু তাক ধৰি থওৰ কোৰত নাক-কাণ কাটি এৰি দিবলৈ ওলাল। সি তেতিয়া কলে—'মৰ লাগে তাইহঁত, মোৰ নাক-কাণ যি কাটা কাটা, কিন্তু এই দীঘল চুলিকোছাৰ আগটো যাতে নাকাটা। কাটিলে মই সিগমে মৰিম। মোৰ আয়ে মৰাৰ আগতে কৈ গৈছিল যে এই চুলিকোছা মোৰ যিমান দিন থাকে সিমান দিনলৈ মই দুখত নপৰো আৰু মোক চুৰি বিদ্যাত কোনেও ধৰিব নোৱাৰিব। আজি কিন্তু কিয় এনে হ'ল জানো? আইৰ সেই কথাষাৰ মোৰ কাণত ছলে আজিও বাজি আছে, বোলে—বোপাই,

'নাক-কাণ কাটিলে তোৰ আহিব বাৰবাৰ;
এই চুলিকোছা কাটিলে কিন্তু নাহে কোনো বাৰ!

চোৰৰ এনে আঁকবাঁক কথা শুনি এজনে সোনকালে গৈ ঘৰ সেৰাৰ ওপৰৰ পৰা কেৰকাজখন উলিয়াই আনি তাৰ চুলিকোছা কাটি এৰি দিলে। চোৰে উচুপি উচুপি কান্দি দেখুৱালে আৰু তেনে কাৰ্য্য আগলৈ নকৰো বুলি প্ৰতিজ্ঞা কৰি বিদায় ললে।

অন্ত এদিন সি আকৌ অন্ত এঘৰত ৰাতি সিন্ধি খান্দি চুৰ কৰিবলৈ সোমাওঁতে ধৰা পৰিল। তাক হাতভৰি ধৰি পোহৰলৈ টানি নিওঁতে হাত-যোৰ কৰি সিনো কয় কি—বোলে 'মোৰ অঙ্গ সকলো মইতে ধৰা তাইহঁত কিন্তু নাকটোত নধৰিবা দেই। তাকে কৰিলে মই খিতাতে মৰিম।'

কথা শুনি গিৰিহঁতে ভাবিলে—'তেন্তে ইয়াৰ নাকতে কিবা ৰহস্য কথা আছে হবলা। যাক তেন্তে নাকতে ধৰা যাওঁকচোন।' এইবুলি যেই গিৰিহঁতে তাৰ নাকত ধৰিলে—সি সোনেই উজান মাৰি পলাই পত্রং দিলে।

তৃতীয়তে এদিন আকৌ ৰাতি নৌপুৰাওঁতে সি গৈ এঘৰৰ চোতালৰ কাষৰ কাকিনী তামোলতচুৰ কৰিবলৈ উঠিল। গিৰিহঁতে গম পাই চাকি জেঁাৰ আদি জলাই তাক তামোলৰ আগত উঠি থকা দেখি নানা প্ৰকাৰে তৰ্জন-গৰ্জন কৰি নামি আহিবলৈ কলে। সি কৰিলে কি? সি পোনেই জেপৰপৰা কদ্ৰাক্ষৰ মালা উলিয়াই ডিঙিত পিন্ধি ললে আৰু তললৈ অলপ নামি আহি জেঁাৰৰ পোহৰত মানুহে দেখাকৈ হাত যোৰ কৰি ওপৰৰ ফালে চাই কৰলৈ ধৰিলে—

'উপায় গ'ল ওপৰলৈ, বুদ্ধি বল ভিতৰলৈ, কিনো প্ৰভু ভগৱন্তৰ লীলা।
বৈকুণ্ঠলৈ নিওঁ বুলি আনি প্ৰভুই দেখোন তামোলৰ গছত তুলি দিলা।'

গিৰিহঁতে শুনি তাক নমাই আনি ঘটনাটোনো কি সুধিলে। সি কলে 'কাকনো কম, কোনে পতিয়াব; যাবে আগত কম সেয়ে লঠিয়াব।—তথাপি সুধিছে যেতিয়া সঁচা কথাটো কোৱা ভাল। আজি শুই থাকোঁতে মাজনিশা সপোনত দেখিলোঁ, স্বয়ং ভগৱানে আহি মোক দেখা দি কৈছে, এই তামোলৰ গছত উঠিলে হেনো মই আজি স্বৰ্গলৈ যাব পাৰিম। তেওঁ মোক তামোলৰ আগৰপৰা সশৰীৰে স্বৰ্গলৈ নিবহি। পিছে দেখোন ই স্বৰ্গৰ পথ নহয় যেন পাওঁ; হলেনো আপোনালোকে মোক আগুৰি ধৰেহি নে? যেয়তায়ো মিছা কয় বোপাই ঐ। সেয়েহে কংসই হৰ পায় কৈছিল—

'আচোক মহন্ত, যেৱে দিছা মাতে, কি ভৈল কালৰ গতি!'

ডিঙিত মালা-খতা দেখি আৰু মুখত এনে সাধু কথা শুনি গিৰিহঁত তাৰ কথাতে পতিয়ন গ'ল, আৰু তাক এৰি দিলে। সি তেতিয়া আকৌ মুখত হৰিনাম লৈ ঘৰলৈ গতি কৰিলে—। ঘটনাটো হলে আজিও সকলোৱে প্ৰায় মাতি কয়—

> 'উপায় গ'ল ওপৰলৈ, বুধি গ'ল ভিতৰলৈ,
> কিনো প্ৰভু ভগৱন্তৰ লীলা;
> বৈকুণ্ঠক নিও বুলি প্ৰভুই
> তামোলৰ গছত তুলি দিলা।'

—

প্ৰহাৰেণ ধনঞ্জয়

আমাৰ সাধুৰ ধনঞ্জয় কিন্তু মহাবীৰ ধনঞ্জয় নহয় সেই, ধনঞ্জয় বায়ুও নহয়। জোঁৱাই ধনঞ্জয়হে। শহুৰৰ ঘৰত জোঁৱাই ল'ৰাৰ আদৰ অন্ত-সকলৰ বাবে ঈৰ্ষাৰ বস্তু! শাহুৱেকে বোলে নিজৰ পো-তকৈও জোঁৱাই ল'ৰাকহে বেছি আদৰ কৰে। সেই বাবেই কোৱা হয়—'ভাত খাবা আহুৰ আৰু ভাত খাবা শাহুৰ।'

এবাৰ এনেকুৱা শহুৰ-শাহুৰ আদৰ বিচৰা চাৰিজন জোঁৱায়েক ব'হাগৰ বিহুত কোনো এক শহুৰৰ ঘৰলৈ বিহু খাবলৈ গ'ল। একেই জোঁৱাই ল'ৰা, তাতে আকৌ ব'হাগৰ বিহু। আদৰ-সাদৰৰ সীমা নাইকিয়া হ'ল। শহুৰ-শাহুৰ মৰমত মজি জোঁৱাই ল'ৰাহঁতে ঘৰলৈকে উভতিবলৈ মন-কাণ নকৰাই হ'ল। এনেকৈ গোটেই ব'হাগ মাহ গ'ল; জেঠো গৈ গৈ শেষ হবৰ হ'ল; তথাপি কিন্তু জোঁৱাই ল'ৰাহঁতে ঘৰলৈ উভতিবলৈ মন-কাণ কৰা নাই। তাকে দেখি বৰগিৰিয়েক আৰু খুলশালিয়েকহঁতৰ চকু পিত্‌পিতাই আছে। কিন্তু থাকিলে কি হব? মুখ ফুটাই তেওঁলোকে ভিনিহিয়েক-বৈনায়েকহঁতক একো কব নোৱাৰে, আলোচা মাক-বাপেকে বেয়া পায়, এই ভয়ত।

চাৰিওজন জোঁৱাইৰে আকৌ তেৰ আছিল বেলেগ বেলেগ ধৰণৰ। খোৱাতো প্ৰত্যেকে বিচাছিল একো এটোটা পৃথক জুতি। খোৱাৰ পৰত বৰ-জোঁৱায়ে বিচাৰে ঘিউ; দ্বিতীয় জনক লাগে বহিবলৈ এখন বৰপীৰা; তৃতীয় জনক লাগে গৰম গৰম ভাত-খাজা, পইতা-ককৰাৰ তেওঁ নামকে শুনেন; চতুৰ্থ জন আছিল কিন্তু 'হাহেবেও-ভাল-নাহেবেও-ভাল' বিধৰ: খোৱাৰ সময়ত ভাল মুখৰ মাত দু-আষাৰ পালেই তেওঁ তুষ্ট হয়। চাৰিযো পৰ্‌ কিন্তু চাৰি ধৰণৰ।

এইদৰে এদিন-দুদিন, এসপ্তাহ-দুসপ্তাহকৈ পূৰা দুমাহ পাৰ হৈ যোৱাত সিহঁতৰ বৰগিৰিয়েক-খুলশালিয়েক আটাই কেইজনে লগ হৈ আলচ কৰিলে, বোলে—এই কথাই কথা নহয়। ইহঁতৰ মতলব ভাল নহয়। জেঠজোঁৱাই

মাকক খুলি খুলি খাই শেষ কৰিছে তেনেই যোৱাৰ ঘৰে আমাৰো পৈতৃক সম্পত্তি লোপাকে খাই খৰছ কৰি শেষ হলেহে ইহঁত উভতিব ঘৰ পাই। গতিকে বেনে কুকুৰ খেদি টাঙোন লগাইছেহে ঠিক হব। এই বুলি সিহঁতে এটা উপায় উলিয়ালে।

সবাতোকৈ ডাঙৰ জন জোঁৱাইৰ নাম হৰি। হৰিয়ে সদায় ভাতৰ লগত ঘিউ বিচাৰে। তেতিয়া সিহঁতে ছল কৰি একেবাৰে কেইবাদিনো হৰিক ভাতৰ লগত ঘিউ নিদিলে। খুজিলেও ঘিউ নাই বুলি কয়। তাতে হৰিয়ে বৰ অপমান পালে আৰু এদিন ৰাতিপুৱা কাকো নকোৱা-নোকোৱাকৈ শহুৰেকৰ ঘৰ এৰি গুচি গ'ল।

দ্বিতীয় জোঁৱাইৰ নাম মাধৱ। মাধৱ যে মাধৱেই। খোৱাত এওঁৰো বাচ-বিচাৰ নাই, কিন্তু হলে খাওঁতে বহিবলৈ বৰপীৰাখন নহলে নচলে। বৰপিৰিয়েক-খুলশালিয়েকহঁতে এওঁক একেবাৰে কেইবাদিনো খোৱাৰ সময়ত বহিবলৈ বৰপীৰা নিদি খেদিলে।

এতিয়া তৃতীয় জোঁৱাই পুণ্ডৰীকাক্ষ বোলাজনৰ পাল পৰিল। এওঁ পইতা বা জৰুৱা ভাত নাখায়। এদিন ছলকৰি পুণ্ডৰীকাক্ষক পইতাভাত খাবলৈ দিয়াত এওঁ বৰ অপমান পালে আৰু কাকো একো নোকোৱাকৈ সন্ধিয়ালে ঘৰলৈ গুচি গ'ল।

বাকী ৰ'ল এতিয়া চতুৰ্থ জোঁৱাই। এওঁৰ নাম ধনঞ্জয়। এওঁ কিন্তু অভিমান কৰা বিধৰ লোক নহয়। বাকী শাহুপুতিয়েক কেইজন অভিমান কৰি গোৱা দেখি এওঁ কয়—'অভিমান কৰিলে কি হব? [illegible] বুলি লগ লাগে, [illegible] সেইহেতে ঢি গোৱা যায় তাকে [illegible] খাই সুখেৰে থাকিব লাগে।' বৰপিৰিয়েক-খুলশালি-[illegible] [illegible] লোৱাইনিলে। [illegible] [illegible] লোক এওঁ।

তাকে দেখি সিহঁত আটায়ে মিলি আলচ কৰি এদিনা খাওঁতে [illegible] ধনঞ্জয়ক আটায়ে আঙুলি দি [illegible] পিঠা দিলে। [illegible] লোৱাৰি ধনঞ্জয়ে [illegible] দিলে [illegible]। ধনঞ্জয় [illegible] খুলশালিয়েকহঁতে [illegible] [illegible] ধনঞ্জয়

ঘৰ পালেগৈ। মাজ বাটৰপৰা থুলশালিয়েকহঁতে তেওঁক খেদিব এৰি উভতি গ'ল। ধনঞ্জয়ে গৈ ঘৰ পাই আজিকোপতি ভাবে—ৰৰশিবিয়েক-থুলশালিয়েকহঁতে তেওঁক ইমানকৈ মাৰিলে কিয়? কিন্তু তাৰ হলে কাৰণ বিচাৰি নাপায়। 'প্ৰহাৰেণ ধনঞ্জয়ঃ' কথাষাৰ আজিও সকলোৰে মুখে মুখে হৈ আছে।*

---

* 'প্ৰহাৰেণ ধনঞ্জয়ঃ' আচলতে এটা সংস্কৃত শ্লোকৰ অংশ বিশেষ। ওপৰৰ ঘটনাটো সংস্কৃতৰপৰা আহি অসমীয়াত সোমাই 'প্ৰহাৰেণ ধনঞ্জয়ঃ' কথাষাৰ অবিকৃতভাৱে অসমীয়াত এৰিছে।

'হবিৰ্বিনা হৰিৰ্যাতি বিনা পীঠেন মাধৱঃ।
কদন্নে পুণ্ডৰীকাক্ষঃ প্ৰহাৰেণ ধনঞ্জয়ঃ'

গপত মৰিল গজহস্তি

আহোম ৰজাৰ দিনৰ কথা। ৰজাৰ এটা হাতী আছিল—বৰ ধুনমুন হাতী। প্ৰকাণ্ড দঁতাল হাতী আছিল যদিও প্ৰকৃতিত আছিল সি বৰ শান্ত। ৰজাই তাক স্বাধীনভাৱে ফুৰিবলৈ এৰি দি থৈছিল। সিও মুকলি মনে চৰি থাকি ইমান উদণ্ডীয়া হৈ পৰিছিল যে পিছলৈ কাৰো কোনো কথালৈ কেৰেপ নকৰা হৈ পৰিছিল।

এদিন জাবকালি সি হাবিৰ কাষেদি গৈ থাকোঁতে আগত এটা ফেটী-গোম সাপ দেখিলে। সাপটো সি যোৱা বাটৰ মাজতে পিঠিত ৰ'দ লগাই পৰি আছিল। হাতীটোৱে ভাবিলে—মই হলোঁ ৰজাৰ গজহস্তী; ই কটা বুকেৰে চুচৰি ফুৰা টোকোনা সাপ। সি মোক দেখি সেৱা জনাব লাগে। তাকে নকৰি সি দেখোন মোক বাট এৰি দিবই নোখোজে। ইয়াকে বোলে—'কালো কাল বিপৰীত কাল, হৰিণে চেলেকে বাঘৰ গাল।' বাৰু তাক এসেকা দিম এতিয়াই। ইয়াকে ভাবি সি আগবাঢ়ি যাবলৈ ধৰিলে।

ইফালে সাপটোৱে ভাবিলে—নৰ-মনিচ, পশু-পক্ষী সকলোৱে ফেটী-গোম সাপৰ নাম শুনিলে আঁতৰি পলায়। এই লোধোমা হাতীটোৱে দেখোন গাৰ

ফালেহে খেদি আহিব খোজে। বহু বাৰু, চিনি পাবি মই বাপেৰ কেনে!
—এই ভাবি সি ফেট তুলি ফোঁচ-ফোঁচাই বাট আগচি ধৰিলে।

হাতীয়েও গপত ওফন্দি আহি সাপৰ কঁকালতে গচকা মাৰি দিলে। তেতেয়া সাপে তাৰ ঠেঙত ভালকৈ তিনি-চাৰি খোট মাৰি তেজ উলিয়ালে। হাতীৰ গাত গোম সাপৰ বিষ লাগিল। সি অলপ দূৰ গৈয়ে আলিৰ কাষত পৰি মৰি থাকিল।

ইফালে হাতীৰ গচকাত সাপৰো পেটু ছিঁগি গৈছিল। সিও অলপ দূৰ কোনোমতে চুঁচৰি গৈ হাতীৰ দাঁতিতে পৰি মৰি থাকিল।

মৰা হাতীটো খাবৰ কাৰণে শগুন আহিল। শগুনে দেখে হাতীটোৰ কৌনো পিনেদি একো ক্ষতি-ক্ষুণ নাই। ছালখন মুফুটালে মঙহ খোৱা নাযায়। গতিকে সিহঁতে ঠোটেৰে খুঁটি খুঁটি কোনোমতে এটা বিন্ধা কৰি লৈ সেই পিনেদি হাতীৰ পেটৰ ভিতৰলৈ সোমাই তাৰ মঙহ খাবলৈ ধৰিলে। দুই-তিনিদিন তেনেকৈ মঙহ খাই খাই সিহঁত ভিতৰৰপৰা ওলায়ে নাহিল। ইফালে বিন্ধাটোও ৰ'দ-বতাহত ক্ৰমে বন্ধ হৈ নাইকিয়া হ'ল। শগুনবোৰ হাতীৰ পেটৰপৰা ওলাব নোৱাৰি ভিতৰতে মৰি থাকিল।

তাৰে কিছুমান দিন পাছতে ভোম নামে খৰিকটীয়া এটা যাওক সেই পিনেদি। সি ৰ'দত হাতীটোৰ জিলিকি থকা দাঁত যোৰ দেখি পঁচা গোন্ধলৈ কেৰেপ নকৰি ওচৰ চাপিল, আৰু দাঁতযোৰ কাটি উলিয়াই নি বিক্ৰী কৰি ধন ঘটিব পাৰিব বুলি ভাবি কুঠাৰেৰে তাৰে এটাত ঘপিয়াই লৈ টানিবলৈ ধৰিলে। বহুত পৰৰ পাছত আজুৰি থাকোঁতে থাকোঁতে এটা দাঁত জট্ কৰি উঘালি আহিল আৰু ভোমৰ পেটত সোমাল। ভোম খৰিকাত দিয়া মাছৰ দৰে হৈ পৰি ৰ'ল, আৰু মৰিল।

এই ঘটনাবোৰ আলিৰপৰা অলপলৈকে ওচৰৰ হালোৱা মানুহবোৰে দেখি শুনি আছিল। সিহঁতে তেতিয়া ফকৰা এটা ৰচি কবলৈ ধৰিলে—

গপত মৰিল গজহস্তী
ফোঁপাই মৰিল গোম,
শ খাওঁতে শগুন মৰিল;
আজুৰি মৰিল ভোম।

'পুনৰ মুচিকো ভৱ'

লুইতৰপৰা প্ৰায় দহ মাইল দূৰত বশিষ্ঠাশ্ৰম। পূৰ্ব্ব কালত বশিষ্ঠ মুনিয়ে তাত বহি তপস্যা কৰিছিল। বশিষ্ঠাশ্ৰমৰ ওচৰতে সন্ধ্যা, ললিতা আৰু কান্তা এই তিনিওটা নিজৰা মিলি এটা হৈ বৈ গৈছে।

এদিন আশ্ৰমত মহামুনি বশিষ্ঠ ঋষি তপস্যা কৰি বহি আছিল। এনে সময়তে ওপৰৰপৰা এটা নিগনি আহি ঋষিৰ মূৰতে পৰিল। ঋষিয়ে চকু মেলি চালে! তেওঁ দেখিলে—এটা নিগনি মেকুৰীৰ খেদাত তৎ নাপাই লৰি পলাব খোজোতে, গছৰ ডাল এটাৰপৰা তেওঁৰ মূৰতে জপিয়াই পৰিছে।

ঋষিয়ে নিগনিটো হাতত লৈ মৰমেৰে তাৰ গাত হাত বুলাই দি ভাবিলে—বেচেৰা নিগনিটো এটা নিমাখিত প্ৰাণী। মেকুৰীয়ে আজি নহলেও কালিলৈ তাক খাই পেলাব। গতিকে তাক ৰক্ষা কৰিবৰ বাবে মেকুৰীলৈ পৰিবৰ্ত্তন কৰা উচিত হব। ইয়াকে ভাবি তেওঁ কমণ্ডলুৰ পানী গাত চতিয়াই দি নিগনিটোক মেকুৰীত পৰিণত কৰিলে।

কিছুদিনৰ পাছত ঋষিয়ে দেখে মেকুৰীটো আশ্ৰমৰ দাঁতিৰ কুকুৰ এটাৰ ভয়ত পলাই পলাই ফুৰে। ইয়াকে দেখি তেওঁৰ মৰমৰ মেকুৰী-টোলৈ পুনঃ পুতৌ জন্মিল। তেওঁ এইবাৰ মেকুৰীটোক এটা ধুনীয়া কুকুৰলৈ পৰিবৰ্ত্তন কৰিলে।

দিন যাবলৈ ধৰিলে। এদিন দুপৰীয়া ঋষিয়ে গছৰ শীতল ছাঁত বহি বিশ্ৰাম লৈ থাকোঁতে দেখিবলৈ পালে যে তেওঁৰ মৰমৰ কুকুৰটোক এটা নাহৰফুটুকী বাঘে খাবলৈ খেদি লৈ ফুৰিছে। প্ৰাণৰ আলত কুকুৰটো লৰি আহি ঋষিৰ কোলাতে উঠিল। বাঘ ঋষিক দেখি উভতি হাবিলৈ গল। ঋষিয়ে তেতিয়া ভবিষ্যতলৈ আৰু নিশ্চিন্ত হবৰ কাৰণে কুকুৰটোক এইবাৰ এটা নাহৰফুটুকী বাঘত পৰিণত কৰি আশ্ৰমতে ৰাখিলে।

আশ্ৰমত নাহৰফুটুকা বাঘটো এদিনাখন উঠিবজা বহিবজা হৈ পৰিল। কাকো সি গণাগণ নকৰা হ'ল। তাৰ কি আশ্ৰমৰ জীৱ জন্তুবোৰে কোৱা কাণত পৰে যে সি ঋষিয়ে সজা বাঘহে। সেই কথাটো শুনিলে তাৰ বৰ লাজ লাগে। সি এদিন ভাবিলে—এই বুঢ়া ঋষিটো জীয়াই থাকে মানে তাৰ সেই লজ্জাজনক জন্ম-কাহিনীটো সকলোৰে সদায় কৈ তাক ইতিকিং কৰিয়ে থাকিব। গতিকে সি তাৰ কণ্ঠীয়া মাৰি থোৱাটোহে উচিত হব।

এনেকৈ গুণা-গথা কৰি সি এদিন ছেগ বুজি থাওঁ বুলি ঋষিৰ ওপৰতে জপিয়াই পৰিল। তপৰ বলত ঋষিয়ে তৎক্ষণাৎ সকলো কথা বুজিব পাৰি—'পুনৰ্মূচিকো ভব' বুলি কৈ বাঘটোক চকুৰ পচাৰতে পুনঃ এটি ক্ষুদ্ৰ নিগনিত পৰিণত কৰিলে।

নীচ লোকৰো উন্নতি এনেকুৱা। সেই দিনৰ পৰা ঋষিৰ সেই 'পুনৰ্মূচিকো ভব' বাক্য এটা প্ৰবচন হৈ ৰ'ল।

তিৰীক নকৰা হিত

তেতিয়া আমাৰ দেশৰ ৰজা আছিল আহোমসকল। গড়গাঁৱত আছিল তেৰাসকলৰ ৰাজধানী। ৰাজধানীৰ ওচৰৰে গাঁও এখনত এহাল ডেকা-ডেকেৰী বাস কৰিছিল। সিহঁতৰ ভিতৰত বৰ মিল। পিছে বহুত দিনলৈ সিহঁতৰ ল'-সন্ততি একো হোৱা নাছিল। সেইবাবে দুয়োৰো মনত বেজাৰ। ঘৰখন শুৱনি কৰিবলৈ ল'ৰা-ছোৱালী নথকা বাবেই হওক বা অন্য কিবা কাৰণতে হওক দুয়োৰো মাজত কেতিয়াবা খুট-খাটকৈ দন্দ-কাজিয়াও

এদিন কৈৰা-দুপৰীয়া হালতলীৰপৰা আহি গিৰিয়েকে ঘৈণীয়েকৰ হাতত

টোপোলা এটা দি কলে—'হোৱা, সদায় মঙহ খাওঁ, মঙহ খাওঁ কৰি থাকা, আজি বাদ্ধি বাটি জিমান পাৰা খোৱা। কাকো নকবা।'

ঘৈণীয়েকে কলে- 'কিনো, কিবলগীয়া বস্তুটো হ'ল? কিহৰ নো মঙহ আনিলে? কোনে বা দিলে?'

—'যিহৰে হওঁক তোমাৰ বাদ্ধা। খোৱা যাওঁক। অকমান মঙহ দিলে নো আমাৰ কোনো কণ্ঠ? শহুৰ শাহুৰেও আজিকালি পুৰাণ জী-জোঁৱাই বুলি আমাক খবৰকে নকৰে। পিছে ভগৱ লাগিলেহে ভগে, নাল গিলেনো ক'বপৰা ভাগিব? তুমি কিন্তু মোৰে শপত, কাৰো আগত নকবা। ম'ৰা চৰাইৰ মঙহ। সিদিনা ৰজাৰ চৰাইৰ। মোৰ হাতৰ আগে আগে ফুৰিছিলহি, খেদিলেও নাযায়। খং উঠি এচাৰিৰে কোব মাৰি দিলোঁ, মৰি থাকিল। তাকে কুটি-বাছি আনিছোঁ।'—গিৰিয়েকে কলে।

—'আপুনি কিন্তু বাঘৰ গোঁফেৰে কাণ খজুৱাইছে। মোৰ হলে ভয়হে লাগিছে।' ঘৈণীয়েকে কলে।

—'তুমি তিৰোতা মানুহ। তোমাৰ ভয় লাগিবই। বাৰু যি দায় লাগে মোৰ গাত লাগিব, তুমি ভালকৈ বান্ধাগৈ।' গিৰিয়েকে এনেকৈ কৈ ঘৈণীয়েকক বান্ধনি-ঘৰলৈ পঠাই দিলে।

দুয়ো সেই মঙহ খাই কেইদিনমান মিলা প্ৰীতিত কাল কটালে। পিছে— পুনৰেব পাপী, পুনৰেব দৰিদ্ৰঃ। আকৌ দুয়োৰো ভিতৰত কাজিয়া-পেচাল হবলৈ ধৰিলে। ঘৈণীয়েকৰ একিয়া আৰু ফুটনি বাঢ়িল। তাই ভাবে, তাই যেন ৰজা-ঘৰত খবৰ দিলেই গিৰিয়েকৰ বিনা বিচাৰে ফাঁচি-কাটেক কিবা হৈ যাব, গতিকে গিৰিয়েকে তাইক ভয় কৰি চলিব লাগে।

সিফালে হাজাৰেই হওক, গিৰিয়েকো মতা মানুহ। ঘৈণীয়েকৰ ৰব ৰব কথা শুনে কেনেকৈ? এদিন গিৰিয়েকে হালতলীৰপৰা আহি কিবা কথাত খং উঠাত ঘৈণীয়েকৰ পিঠিত হালোৱা লৰু ছিঙিলে। ঘৈণীয়েকেও খঙৰ চাটত পোনেই গৈ ৰজাঘৰত উপস্থিত হৈ কলে,—'মহাৰাজৰ যে এটা ম'ৰা চৰাই হেৰাইছিল সেইটো হলে আমাৰ তেৰেঁই মাৰি নিছিল। আমি দুয়ো খাইছিলোঁ। পাপ কথা মই ঢাকি ৰাখিব নোৱাৰি মহাৰাজৰ আগত কৈ কাঢ়িবলৈ আহিছোঁ।'

ৰজাই তাইৰ কথা শুনি পতিয়ন গ'ল আৰু তাইৰ সিবিয়েককৰ ধৰাই নি বন্দীশালত কেইদিনমান ৰাখিলে। তাৰ পিছত এদিন উলিয়াই আনি কলে—'হয় নে, তোৰ ইমান সাহস? তই ৰজাৰ ম'ৰা-চৰাই মাৰিও ভোজ খাবলৈ সাহ কৰ? কিয় এই কাম কৰিছিলি শীঘ্ৰে ক। নহলে আজি তোৰ শিৰচ্ছেদ হব।'

ডেকাজনে কলে—'মহাৰাজ, কাটকে বা মাৰকে, মই সঁচা কথা কম। মহাৰাজ, মানুহে যে কয়—তিৰী, মিৰি, ভাটৌ, কোৱা, এই চাৰিত আশয় নোপোৱা—ই অন্যবোৰত সঁচা নহলেও মোৰ তিৰীজনী সম্পৰ্কে হলে তেনেই সঁচা। মহাৰাজ, তাইৰ কথা সম্পূৰ্ণ মিছা। মই তাইক খণ্ডৰ কোবত উধেমুধে কোবাইছিলোঁ—তাৰে প্ৰতিশোধ তাই এইদৰে লৈছেহি। আচল কথাটো এই—মই এদিন হাল বাই থাকোঁতে মহাৰাজৰ ম'ৰা চৰাই এটাই হালৰ আগত বাৰে বাৰে লৰি-ধপৰি মোৰ হালোৱা গৰুক চক খুৱাইছিল। মই তাক নি আমাৰ বাৰীৰ চুকতে মাটি খন্দা গাঁত এটাত থৈ তাৰ মুখখন যতনেৰে গছৰ পাতেদি ঢাকি ৰাখিছিলোঁ। খাবলৈ তাক মই সদায় আহাৰ-পানী যতনাই দিছিলোঁ। সি নিশ্চয় আজিও মোৰ বাৰীৰ চুকতে মই কোৱা ঠাইত আছে। লাগিলে কটকী পঠাই চোৱাব পাৰে, মহাৰাজ!'

ৰজাই তুৰন্তে কটকী পঠাই পৰীক্ষা কৰালে। কটকীয়ে গৈ ম'ৰাটোক ঠিক সি কোৱাৰদৰে গাঁত এটাৰ ভিতৰত চাপি ধৰি থকা পাই ৰজাক কলেহি। ৰজাই আদেশ দিয়াত ম'ৰাটো তাৰপৰা ৰাজসভালৈ অনা হ'ল; মানুহজনে সত্য কথা কোৱা বাবে ৰজাৰপৰা বহুত ধন-সোণ পুৰস্কাৰ পালে। এই ঘটনাটোক সি গৈ গাঁৱৰ সকলো লোকক ফকৰা এটা সাজি কলে—

তিৰীক নকৰা (১) হিত
গাঁতৰ ভিতৰত ম'ৰাই চাপি ধৰে
স্বৰ্গদেৱৰ চঞ্চল চিত।

---

(১) কোনো কোনোৱে নকৰাৰ ঠাইত 'নকৰিবা' বুলিও কয়।

তোৰো অৰ্দ্ধং মোৰো অৰ্দ্ধং

আগৰ দিনত কামৰূপ আৰু দৰং জিলাৰ বামুণ আৰু বৈৰজ্ঞসকলে উজনিৰ শিৱসাগৰ, লক্ষীমপুৰ আদি জিলালৈ গৈ শ্ৰাদ্ধ আদি কৰি বহুত ধন-সম্পত্তি আনিছিল। তাকে উজান ফুৰা বুলিছিল। তেনে উজান-ফুৰাৰ গল্প বহুত আছে।

এদিন তেনেকৈ উজান ফুৰিবলৈ গৈ কোনো এক বামুণে এজন নদীয়াল মানুহৰ ঘৰত পুৰোহিত হৈ শৰাধ কৰিবলৈ 'ওলাল। তেওঁ কলে—'মৃতকৰ তৃপ্তিৰ কাৰণে তেওঁৰ জীৱিত কালত তেওঁৰ যিবোৰ বস্তু ভাল পাইছিল সেইবোৰ অপৰ্য্যাপ্ত পৰিমাণে শৰাধত দিলে আত্মাৰ শীঘ্ৰে সদগতি হয়। লোভ থাকিলে আত্মাই মুক্তি নাপায়, গতিকে শৰাধত বস্তু এনেকৈ দিব লাগে যাতে মৃতকৰ লোভ আৰু নাইকিয়া হয়।'

এইদৰে গোটা বৌ মাছ, পাৰ, কণী, হাঁহ আদিত বাহিৰেও কাপোৰ-কানি, লোটা, বাটি আদি অনেক ওলাল। পঞ্চৰত্ন নাইবা তাৰ সলনি তাৰ মূল্য লাগে বোলাত পঞ্চৰত্নৰ মূল্যৰূপে এশ টকাও বাহিৰ কৰা হ'ল। এইদৰে শ্ৰাদ্ধ চলি আছে। এনে সময়তে পুৰোহিতৰ চকুত পৰিল—ঘৰৰ এটি চুকত এটা প্ৰকাণ্ড কাছ জুলুকিৰে ঢাকি থোৱা আছে। তেওঁ তন্মুহূৰ্তে গিৰিহঁতক কলে—'পঞ্চনখী একো নাপালানে? শৰাধত পঞ্চনখী দিব পাৰিলে মহাপুণ্য হয়।'

গিৰিহঁতে সুধিলে—পঞ্চনখী নো কি?'

—'পঞ্চনখী হ'ল-শহা, গড়, গুঁই কাছ আদি। পিছে বনৰ জন্তু নো কেনেকৈ পাবা? পালে কাছ পাৰ পাবা।' —পুৰোহিতে কলে।

গিৰিহঁতে তেতিয়া পোনেই আছে বুলি ভব্য কাছটো ঘৰৰ চুকৰপৰা আনি দিলে।

শ্ৰাদ্ধ প্ৰায় শেষ হওঁ হওঁ হৈছে—এনেতে কৰবাৰপৰা নাপিত এটা আহি শ্ৰাদ্ধত দিয়া কাছটো দেখি মুখ মেমেলাই থাকিব নোৱাৰিলে। সি পোনেই কলে—'কিনো অকুতং, কিনো অকুতং, শ্ৰাদ্ধত কচ্ছপৰ মটং মটং।'

পুৰোহিতে দেখে কথাৰ এতিয়া গুমৰ ফাক হয়। গতিকে বিলম্ব নকৰি তেওঁ মাত দিলে—'নবক্তব্যং নবক্তব্যং; তোৰো অৰ্দ্ধং মোৰো অৰ্দ্ধং।'

নাপিতে কথাটো বুজি ভালেই পালে। —পিছে পুৰোহিতে জানোচা পিছত সেইমতে কাম নকৰে—তেতিয়া কি হব? ইয়াকে ভাবি সি সন্দেহৰ চকুৰে পুৰোহিতলৈ চালে। তাকে দেখি পুৰোহিতে কাছলৈ ফুল-তুলসীৰ পানী ছটিয়াই দিয়াৰ ছলেৰে কলে 'পশ্চে যাই কাটং কুটং; যস্মাৎ মিথ্যা গোমাংসং।'

কাম্যৰ শেষ হ'ল। লগতে নি পুৰোহিত আৰু নাপিতে বাটতে কাটি ভগাই ললে। তেতিয়াৰেপৰা খৰা-মূৰা সংস্কৃত শ্লোক এটাৰ সৃষ্টি হৈ মানুহৰ মুখে মুখে চলি থাকিল—বোলে—

কিনো অদ্ভুতং কিনো অদ্ভুতং
শ্ৰাদ্ধে কচ্ছপৰ ঘটং মটং
বামুণ বোলায় নবক্তব্যং নবক্তব্যং
তোৰো অৰ্দ্ধং মোৰো অৰ্দ্ধং;
পশ্চে যাই কাটং কুটং
যস্মাৎ মিথ্যা গোমাংসং।

—

অদ্য যুদ্ধ ভয়ানক

এখন হাবিত এটা বৰ লোদোৰ-পোদোৰ বুঢ়া শাহৰি আছিল। হাবিৰ সকলো জন্তুৱে তাক ৰজাৰ দৰে মানি চলিছিল। তেনেকৈ থাকোঁতে সি সঁচাকৈয়ে ভাবিছিল যে সি ৰজা, সকলোৱে তাক মানি চলিব লাগে।

এনেকৈ গপত এদিন হাবিত ভেম ধৰি ফুৰি থাকোঁতে তাৰ এদিন হঠাৎ এটা ভয়ঙ্কৰ সিংহৰ লগত ভেটাভেটি হ'ল। সিংহৰ মূৰ্ত্তি দেখিয়ে তাৰ চুক্তি হেৰাল। সি ভাবিলে—আজি আৰু ৰক্ষা নাই। আজি মোক ক্ৰোধে খাবে! তথাপি যত্ন কৰি চোৱা ভাল হব; কাৰণ সকলোৱে কয় বোলে— ফুৰুৰে মানে বাবা, নমৰে মানে চাবা। মৰিব লগীয়া থাকিলেও মৰিমেই।

এইদৰে গুণাগথা কৰি বুকুত নতুন বল বান্ধি মৰণত শৰণ দি সি গহীনাই কলে—'বাৰু ভালেই হৈছে। তোমাক পাই ভালেই পাইছোঁ, কিয়নো এতিয়ালৈ ময়ো সাতোটা সিংহ, পাঁচোটা বাঘ আৰু তিনিটা হাতী কেহে মাত্ৰ পৰাস্ত কৰিছোঁ : আৰু বেছি পাৰা নাই। আজি সিংহৰ সংখ্যা আৰু এটা বাঢ়িব। আজি সেইদেখি এতিয়া তোমাৰ আৰু মোৰ মাজত যুদ্ধ হওক। দেৱতাসকলে সেই যুদ্ধ চাওক—'অদ্য যুদ্ধ ত্বয়াময়া'।

বুঢ়া গাহৰিৰ ওফাইডাং কথা শুনি পশুৰাজ সিংহৰ খং উঠা দূৰৰ কথা হাঁহিহে উঠিল। সিংহই কলে—'নালাগে ককাই, তোমাৰ আৰু মোৰ মাজৰ যুঁজখন দেৱতাসকলে আজি নেদেখিলেও হব। দেৱতাসকলে আমাৰ দুয়োৰো বল-বিক্ৰম জানে। তুমি এই বুধিটোনো ক'ত পালা? আগে দেখো তোমাৰ জাতি-বংশৰ কোনেও মোক এইকথা কোৱা নাছিল? তুমি এনে বুধিৰে একঠা হব পাৰিবা! ককাই, তোমাক মই বাৰু এই অনুমতি দিলোঁ—তুমি বাৰু মোক যুঁজত হেৰুৱাইছা বুলি যাবে আগত কব খোজা তাৰে আগত কবা। হবনে এতিয়া?' সিংহ আৰু গাহৰিৰ ভিতৰত কোন কিমান বলী তাক সকলোৱে জানে। গতিকে তুৰন্তে আঁতৰি যোৱা।'

এই বুলি সিংহ গহীন-গম্ভীৰভাবে আতৰি গ'ল। গ'হৰিৰ সেই ডাক্কোপ কৰা কথযাৰ অসমীয়া কথা-বচনতো সোমাই থাকিল—অদ্য যুদ্ধ ত্বয়াময়া।*

---

*সংস্কৃতত শ্লোকটো এইদৰে কোৱা হয়—

সপ্তসিংহা জিতা পূৰ্ব্বং পঞ্চ ব্যাঘ্ৰাস্ত্ৰয়ো গজাঃ।
পশ্যন্তু দেৱতাঃ সৰ্ব্বা অদ্য যুদ্ধং ত্বয়া ময়া॥
গচ্ছ শূকৰ ভদ্ৰন্তে ব্ৰূহি সিংহো জিতো ময়া।
পণ্ডিতা জানন্তি দেৱতাঃ সৰ্ব্বা সিংহশূকৰয়োৰ্বলং॥

হুৰ্‌, হুৰ্‌, বটা চৰাই

এটা চহকী খেতিয়কৰ ঘৈণীয়েক আছিল দুজনী। সৰুজনীক কোমল বয়সৰ ছোৱালী বুলি তেওঁ বৰ আলফুলকৈ ৰাখে, বেছিকৈ কাম-কাজ কৰিব নিদিয়ে। ডাঙৰজনীয়ে হলে যৌতুকৰ বান্দীৰ দৰে দিনৰ দিনটো কাম কৰি ফুৰিব লাগে। ঘৰৰ বাহী-বন কৰা, সাজ-বাচন ধোৱা, চুৰা পেলোৱা, ঠাই মচা আদি সকলো কাম তেওঁৰ মূৰতে বায়। দুয়োৰে দুজনী ছোৱালী আছে। ডাঙৰজনীৰ জীয়েক বয়সত সৰুজনীৰ জীয়েকতকৈ ৩।৪ বছৰে ডাঙৰ। দুয়োজনী ছোৱালীৰে বিয়াৰ সময় হৈ আহিছে।

এলাগী ঘৈণীয়েক ডাঙৰজনাৰ জীয়েকেও মাকৰ দৰে ওৰে দিন কাম কৰে। পথাৰৰ আহুধান ৰখাৰেপৰা গোহালিৰ গৰু বন্ধালৈকে বাজে কামও বোৰ তাই কৰে। লাগী ঘৈণীয়েক সৰুজনীৰ জীয়েকে গা ধোৱা, মূৰ ফণীওৱা, গোসাঁই ঘৰত চাকি-বন্তি দিয়া আদি কামবোৰতে ব্যস্ত থাকে।

এদিন এলাগীৰ জীয়েকে পথাৰত আহু ধান ৰখি আছিল। সদায় বটা চৰাইবোৰে জাক বান্ধি আহি আহুধান খায়। এলাগীৰ জীয়েকে হাতত পছুৰ ছাল এখন লৈ আৰু কেতিয়াবা তগা টিং বজাই বটা চৰাই খেদে। চৰাই খেদি খেদি কেতিয়াবা তাই গায়—

'হুৰ্‌, হুৰ্‌, বটা চৰাই।
আমাৰ ধান নাখা'বি, তোক দিম গোটা কৰাই।'

সেইদিনা এইদৰে গীত গাওঁতে পথাৰৰ দাঁতিৰ হাবিৰ পৰা কোনোবাই যেন উত্তৰত কৈ উঠিল—

'ধানো খাম, কৰায়ো খাম;
বিয়া কৰাই তোক লৈও বাম।'

কথা আষাৰ শুনি ছোৱালীজনীৰ বুকু ছিৰিং কৰি উঠিল। তাই একো বুজিব নোৱাৰি অলপ পৰ বৈ আকৌ গালে—

'হুৰ্‌, হুৰ্‌, বটা চৰাই
আমাৰ ধান নাখাবি; তোক দিম গোটা কৰাই—'

সাপে বিয়া কৰাব বুলি শুনি এইবাৰ তাই বাককৈয়ে ভয় খালে। পোনে পোনে ঘৰলৈ গৈ তাই পিতাকক সকলো কথা কলে।

পিতাকে কলে—'ক'ত নো তোক কিহে মাতে? তই বতাহৰ শব্দ শুনি ভয় খাইছ হবপায়! ধান ৰখিবলৈ তই এইটো চেলু উলিয়াইছ। ব'ল চোন ব'ল বাক, ক'ত তোক ভূতে মাতে চাওঁ।' এই বুলি জীয়েকক লগত লৈ বাপেক আহুতলী পালেগৈ।

বাপেকে তাইক গীতটো গাবলৈ কলে। তাই গালে—

'হুৰ হুৰ বটা চৰাই
আমাৰ ধান নাখাবি তোক দিম গোটা কৰাই—'

উত্তৰত সঁচাকৈয়ে কোনোবাই হাবিৰপৰা চিয়ঁৰি গালে—

'হুৰ্ হুৰ্ বটা চৰাই
আঘোণতে সাপে তোক বিয়া কৰায়।'

তেতিয়া বাপেক-জীয়েক দুয়ো গৈ হাবিত জুমি জুমি চাই গছ এজোপাত এটা প্ৰকাণ্ড অজগৰ সাপ দেখিলে। সাপটোৱে ৰূপ সলাই সুধখন মানুহৰ দৰে কৰি সিহঁতক কলে যে সঁচাকৈয়ে সি এলাগীৰ জীয়েকক বিয়া কৰাব। বাপেকে কলে—'বাক আমি এতিয়া যাওঁ। পাছে-পৰে ভাবি চাম।'

বাপেকে গৈ এই কথা—দুপৰীয়া ভাত পানী খাই উঠি লাগী ঘৈণীয়েক সকজনাক কলে। লাগীয়ে ভাবিলে ভালেই হ'ল। সাপত বিয়া দিলে সাপে তাইক নিশ্চয় খাই পেলাব। তেতিয়া মোৰ ছোৱালীয়ে ঘৰৰ সৰ্ব্বেসৰ্ব্বা হব। সেইদেখি তাই গিৰিয়েকক উদগাই দি কলে—'সাপ নহয়, ই নিশ্চয় কোনোবা দেৱতাৰ মায়া। সাপে জানো কথা কয়? দেৱতাক অসন্তুষ্ট কৰিলে কেনেবাকৈ বোষত পৰিব লাগিলে আমি তেনেই সমূলকে মৰিম; গতিকে সকলোৰে ভালৰ কাৰণে এই বিয়াখন পাতিবই লাগিব।'

এলাগীক এই কথা কোৱা হ'লত তাই পোনেই হায়ে-বিয়ৈকে কান্দোন জুৰিলে। পিছে কান্দিলে কি হব? তাইৰ কথা জানো গিৰিয়েকে কিবা শুনিব?

পিছদিনা খেতিয়কে আহি অজগৰক কলে—'বিয়া দিব ঠিক কৰা হৈছে; কিন্তু দেশৰ দস্তুৰ মতে বিয়াৰ আগতে দৰাই আহি নিজে

নিজে ছোৱালীক অলঙ্কাৰ পিন্ধাই ছোৱালীৰ লগত চা-চিনাকি হৈ যাব লাগিব। অজগৰ মান্তি হ'ল। জোৰোণৰ দিন ঠিক কৰি খেতিয়ক উভতিল।

লাগীৰ কথামতে দিনৰ দিনা অজগৰক নি এলাগীৰ জীয়েকৰ লগত একেটা খোটালীত এদিন-এৰাতি থাকিবলৈ বন্দবস্ত কৰি দিয়া হ'ল। এলাগীয়ে মনৰ দুখত সেইদিনা সেই খোটালীটোৰ দুৱাৰ মুখতে পিৰালিত পৰি থাকি ৰাতিটো কটালে।

মাজনিশা এলাগীৰ জীয়েকে ভিতৰৰ পৰা কয়– 'আই মো'ৰ ভৰি কুটকুটায়।' এলাগীয়ে তেতিয়া বাহিৰৰপৰা কয়–'অ' মোৰ আই, তোক জোঁৱায়ে নেপুৰ পিন্ধায়।'

তাৰ পিছত জীয়েকে আকৌ, 'আই মোৰ হাতে কুটে-কুটায়।' মা'কে বাহিৰৰপৰা আকৌ উত্তৰ দিয়ে, 'বাছা, তোক জোঁৱায়ে খাৰু পিন্ধায়।' এইদৰে কৈ থাকি দুয়ো নীৰৱ হ'ল, ৰাতিও পুৱাল। কথাবোৰ লাগী আৰু তেওঁৰ গিৰিয়েকে ওচৰে শোৱা ঘৰৰপৰা শুনি আছিল।

ৰাতিপুৱা এলাগীৰ জীয়েক দুৱাৰ মেলি ওলাই আহিলত মাকে দেখে জীয়েকৰ গা সোণৰ অলঙ্কাৰেৰে জকমকাই আছে। মাকৰ মহা আনন্দ হ'ল। দুৱাৰ মেলা শব্দ শুনি মাহীমাকো উখা-মুখাকৈ চকু মোহাৰি ওলাই আহিল। এলাগীৰ জীয়েকক দেখি তেওঁৰ মুখখন তেনেই কেহৰাজ বটা যেন হ'ল; হিয়া-আমঠু তেনেই শুকাই গ'ল।

তাৰ পাছত লাগীয়েও গিৰিয়েকক কটুৱিবলৈ ধৰিলে যে তেওঁৰ জীয়েককো এটা অজগৰত বিয়া দিব লাগে। গিৰিয়েকে লাগী ঘৈণীয়েকৰ কথা পেলাব নোৱাৰি অজগৰ সাপ বিচাৰি হাবিলৈ গ'ল। বহুত বিচাৰি বিচাৰি সি এটা বুঢ়া অজগৰ পালে আৰু তাকে ধৰি আনিলে। সাপটো আনি আগৰদৰে এটা খোটালীত বন্ধ কৰি থোৱা হ'ল।

পিছদিনা ৰাতি স্নান-আহাৰ কৰি উঠি লাগীৰ জীয়েক মাক-বাপেকৰ উপদেশ মতে মনৰ ভয় কাতি কৰি থৈ ৰাতিটো কটাবৰ কাৰণে অজগৰ থকা খোটালীটোত সোমাল। বুঢ়া অজগৰ তেতিয়া ভোকত মৰাৰ দৰে পৰি আছিল।

মাজ নিশা যেতিয়া লাগীৰ জীয়েকৰ চিলমিলীয়া টোপনি আহিছে তেতিয়া অজগৰে সাৰ পাই মানুহৰ গোন্ধ পাই ওচৰলৈ আহিল আৰু আহাৰ বুলি ভাবি তাইক ভৰিৰ ফালৰপৰা গিলিবলৈ ধৰিলে।

লাগীৰ জীয়েকে আগতে শুনা মতে যেতিয়া কবলৈ ধৰিলে- 'আই, মোৰ ভৰিয়ে কুটে-কুটায়', মাকে তেতিয়া উত্তৰ দিয়ে 'বাছা, তোক জোঁৱায়ে নেপুৰ পিন্ধায়।' জীয়েকে যেতিয়া কয়—আই, মোৰ কঁকালে কুটে কুটায়', মাকে কয়—'আই, তোক মোৰ জোঁৱায়ে মেখেলা পিন্ধায়।' এনেকৈ গৈ ৰাতিও পুৱা'ল কথাও ভুয়োকালৰপৰা বন্ধ হ'ল।

ৰাতিপুৱা লাগী দোকমোকালিতে উঠি জীয়েক উঠাৰ সহাৰি পাবলৈ আগ্ৰহেৰে বাট চাই থাকিল। বেলি ভালেখিনি হোৱালৈকে জীয়েকক উঠা দেখি মাকে দুৱাৰখন ঠেলি ভুমুকিয়াই চালে। তাই দেখিলে অজগৰ সাপটো ভীমাকাৰ হৈ গৈছে। লগি পাব আছে, কিন্তু জীয়েক হলে তাত নাই। তাইৰ বুকুখন ছিৰিং কৰি উঠিল। দুৱাৰখন জোৰেৰে সম্পূৰ্ণকৈ খুলি ৰহস্যটো বুজিবলৈ তাইৰ আৰু বেছি পৰ নালাগিল। তাই হিয়ামুৰ ধাকুৰি ডবাওৰাৰে কান্দিবলৈ ধৰিলে।

ঘটনা দেখি সেই কান্দোনৰ লগত এলাগী আৰু গাঁৱৰ আন আন তিৰোতায়ো যোগদান দিলেহি। চৰিওফালে কান্দোনৰ ৰোল উঠিল। হাই-উৰুমি শুনি অজগৰ খোটালীৰপৰা ওলাই লাহে লাহে হাবিলৈ গতি কৰিলে।

তাকেই কয়—'কটাৰ পো কুটি,
লোকলৈ বুলি জল পুতি
নিজে মৰে ফুটি।

———

ৰহাৰ ৰহদৈ তিপামৰ ভাদৈ

তেতিয়া আহোম ৰাজ্যত মহা হুলস্থুল। ল'ৰা ৰজা বোলা ৰজাজন ৰাজপাটত বহি ৰাজ-বংশৰ ডেকা-ডেকা কোঁৱৰবোৰক ঘুণীয়া কৰাত লাগি পৈছে। কাৰণ তাকে কৰিলে তেওঁ নিষ্কণ্টক হব পাৰে, কিয়নো, আহোম প্ৰথামতে শৰীৰৰ যি কোনো অঙ্গতে ঘুন থাকিলে তেওঁ ৰজা হব নোৱাৰে।

সেই সময়তে গদাধৰ সিংহ নামৰ ৰাজকোঁৱৰ এজনে ল'ৰা ৰজাৰ হাতত ধৰা নিদি অনাই- বনাই ফুৰিছিল। তেওঁৰ পত্নী সতী জয়মতী। ল'ৰা ৰজাই গদাধৰ সিংহ ক'লৈ গ'ল একো গুংসূত্ৰ উলিয়াব নোৱাৰি তেওঁৰ পত্নী জয়মতীক মুকলি পথাৰত শাস্তি দি নগুৰ-নাগতি কৰিবলৈ ধৰিলে।

গদাধৰ সিংহক ধৰিবৰ কাৰণে ল'ৰা ৰাজাই অনেক চোৰাংচোৱা লগাইছিল। জয়মতীক ল'ৰা ৰজাই শাস্তি দিয়া বুলি শুনি গদাধৰ সিংহ এদিন জয়মতীৰ বতৰা লবলৈ পৰ্ব্বতৰপৰা নামি আহিল। ছদ্মবেশত গৈ তেওঁ জয়মতীৰ লগত কথা পাতি আহিল। কোনেও তাৰ গমকে নাপাংল। উভতিবৰ সময়ত তেওঁ গৈ এখন হাটৰ অগনন মানুহৰ মাজত সোমাল।

ৰজাৰ চোৰাংচোৱাও কিন্তু কম নহয়; সিঁহতে কেনেবাকৈ জানিলে যে গদাধৰ সিংহ সেই বজাৰত সোমায়ইছে। সিঁহতে গদাধৰক বিচাৰি বজাৰ-খন চলাথ কৰিলে।

গদাপানীক চিনি নোপোৱা মানুহ সেই সময়ত উজনি অসমত কেও নাছিল। দোকানী-পোহাৰীবোৰেও তেওঁক চিনি পাইছিল আৰু মৰম কৰিছিল।

হাটত গদাপাণি যিদিনা ৰজাৰ চোৰাংচোৱাৰ হাতত ধৰা পৰো পৰো হ'ল তেতিয়া সেই বজাৰত থকা তিনিজনী পোহাৰীয়ে গুপুতে আলচ কৰিলে— 'বেচেৰা গদাকোঁৱৰ আজি নিশ্চয় ধৰা পৰিব। ৰজাই পালে তেওঁক ভালে নেৰে। একালে বেচেৰী ঘৈণীয়েকজনীয়ে তেওঁৰ কাৰণে জীয়াতু ভুগিব লাগিছে, আনকালে এতিয়া তেৰোঁ ধৰা দি সকলো পণ্ড কৰে।' এনেকৈ কোৱা মেলা কৰি এখুজি-দুখুজিকৈ গদাপানীৰ ওচৰলৈ গৈ কাণে কলে—

'বোপায়, তুমি আমাৰ ওচৰতে ইয়াত বহি শোধাবদৰে মাটিত পৰি থোৱা লবচৰ নকৰিবা ; আমি বুদ্ধি কৰি তোমাক বচাম। নহলে আজি ৰক্ষা নাই।

কোঁৱৰ গদাধৰে সেইমতে কাম কৰিলে। পোহাৰী তিনিজনীয়ে নিজৰ গাতলোৱা আগুৰাণবোৰ জাপি দি তেওঁক ঢাকি থৈ তিনিও তিনিৰ ডিঙিত ধৰি কান্দোনৰ ৰোল তুলিলে। হাটৰ মানুহবোৰে আগুৰি ধৰাত সিহঁতে সিহঁতৰ লগত অহা ভায়েকটো মৰিল বুলি তাৰ গুণ বৰ্ণাই পুনঃ কান্দিবলৈ ধৰিলে। ৰজাৰ চোবাংচোৱাকে আদি কৰি কাৰো এই কাৰ্য্যত সন্দেহ কৰিবলৈ কাৰণ নাথাকিল। লাহে লাহে চকা পাটত বহিল। সন্ধিয়াৰ এন্ধাৰে সকলোকে ঢাকি পেলালে। ৰজাৰৰ মানুহ গৈ গৈ নাইকিয়া হ'ল। এই ছেগতে পোহাৰী বাইহঁতৰ ইঙ্গিতত গদাধৰ কোঁৱৰ মাটিৰপৰা উঠি উচৰৰে হাবি এখনত সোমালগৈ।

এই ঘটনাটোকে লৈ আজিও মানুহৰ মুখত বচন একাকি পৰি বল—

'ৰহাব ৰহদৈ তিপামৰ ভাদৈ
শ'লগুৰিৰ আঘোণী বাই ;
তিনিও তিনিৰ ডিঙিত ধৰি কান্দে
সম্বন্ধত একোটো নাই।*

---

*এই ধৰণৰ আৰু এটা কথা কোনো কোনো ঠাইত এইদৰেও কোৱা শুনা যায়, বোলে—'ৰামদিয়াৰ ধৰ্মী, ডুবিৰ নিলো পোৱালকুছিৰ আঘোণী বাই ; তিনিও তিনিৰ, ডিঙিত ধৰি কান্দিছে, সম্বন্ধৰ কুটাগছ নাই।' এইটোৰ মতে তিনিও তিনি ঠাইৰপৰা গঙ্গা স্নান কৰিবলৈ গৈছিল। বাটতে লগালগি হ'ল। তিনিও তিনিকে ধাই বাই বুলি মাতিবলৈ ধৰিলে। গঙ্গাস্নান কৰি ঘূৰি আহি এৰাএৰি হবৰ সময়ত তিনিও তিনিৰ ডিঙিত ধৰি কান্দি গছৰ পাত সৰৱাইছিল।

মাঘতো নহয় মেঘতো নহয়

এক ৰজা আছিল। বৰ ডাঙৰ ৰজা। তেওঁৰ কুঁৱৰী আছিল ভালেমান; ল'ৰা-ছোৱালীও অনেক। ল'ৰাছোৱালীবোৰক পঢ়াবৰ বাবে তেওঁ এজন ডাঙৰ পণ্ডিত ৰাখিছিল। ৰজাৰ ৰাজ-চাউদীতে এটা ধুনীয়া আহল-বহল ঘৰত পণ্ডিতে সিহঁতক শিক্ষাদান দিছিল।

এদিন ৰজাৰ মনত খেলালে পণ্ডিতে নো মোৰ ল'ৰা-ছোৱালীবোৰক সঁচাসঁচিকৈ কিবা পঢ়ায় নে মিছাতে দৰমহা খায় চাওঁচোন। — ইয়াকে ভাবি তেওঁ পুতেকহঁতৰ পঢ়া-খোটালীৰ দুৱাৰৰ আঁৰত থিয় হৈ থাকিল।

সেই সময়ত পণ্ডিতে ৰজাৰ পুত্ৰ-কন্যাকসকলক শিকাই এটা সংস্কৃত শ্লোকৰ অৰ্থ এইদৰে কৈ আছিল— 'বাপাহঁত, তোমালোকে ভালকৈ মন দি পঢ়িবাহক। পঢ়িব-শুনিব জনা লোকৰ সমানে মৰম নাই। ৰজাতকৈও পণ্ডিতলোকৰ মান বেছি। ৰজাই নিজৰ দেশতহে পূজা পায়, পণ্ডিতে যতে তাতে মান পায়। পণ্ডিতৰ চাউল গছৰ আগতো।'*

পণ্ডিতৰ এনে কথাত ৰজা অসন্তুষ্ট হ'ল। তেওঁ পোনে পোনে পণ্ডিতৰ পঢ়োৱা খোটালীলৈ নগৈ ৰাজ চ'ৰালৈ আহিল আৰু পণ্ডিতক তালৈ মাতি পঠালে। পণ্ডিত গৈ পালত তেওঁ কলে —'হয় নে পণ্ডিত, পণ্ডিতৰ বোলে গছৰ আগতো চাউল? পণ্ডিত বোলে ৰজাতকৈও ডাঙৰ?'

পণ্ডিতৰ ভয় লাগিল। তথাপি তেওঁ কলে—'মহাৰাজ, ই মোৰ সাজি কোৱা কথা নহয়। এয়া যুগ যুগ ধৰি চলি অহা জ্ঞানী লোকৰ বচন। আমি আজি ইয়াক লৰচৰ কৰিব নোৱাৰোঁ।'

ৰজাই কলে—'ভাল কথা বাৰু। ইয়াৰ আজি পৰীক্ষা চোৱা যাওঁক।'

পণ্ডিত নীৰৱ হ'ল। ৰজাই কটোৱালহঁতক মাতি গহীনাই কলে—"শুন, কটোৱালহঁত, তহঁতে এই বুঢ়া পণ্ডিতক আজি সন্ধিয়া সৌ সন্ধ্যাঝাৰলৈ

---

* বিদ্বত্বঞ্চ নৃপত্বঞ্চ নৈব তুল্যং কদাচন।
স্বদেশে পূজ্যতে ৰাজা, বিদ্বান্ সৰ্ব্বত্ৰ পূজ্যতে।'

নি তাৰ মাজৰ এজোপা গছত তুলি দি ওখ ডাল এটাত ভালকৈ বান্ধিবি আৰু তাতে কোনো নৰ-মনিচে নেদেখাকৈ এৰি থৈ আহিবি। কালিলৈ পুৱা মই ব'দ-বাদ দিলে পুনঃ তাৰপৰা মানুহ পঠাই অনাম। কিন্তু সাৱধান যাতে তেওঁ তাৰপৰা পলাব নোৱাৰে তেনেকৈ হাতে ভৰিয়ে বান্ধি এৰিবি।'

যেনে আদেশ তেনে কাম। সন্ধিয়া সিহঁতে পণ্ডিতক নি সেই জন-মানৱশূন্য অটব্য অৰণ্যৰ প্ৰকাণ্ড আইত গছ এজোপাৰ আগৰ ডাল এটাত বান্ধি থৈ আহিল। পণ্ডিত ভয়ত পেপুৱা লাগিল। ৰাতি হৈ অহাৰ লগে লগে তেওঁ মুখৰ ভিতৰতে বটু-ভৈৰৱৰ স্তোত্ৰ গাবলৈ ধৰিলে।

ক্ৰমে ৰাতি বেছি গভীৰ হৈ আহিল। বনৰীয়া জন্তুৰ চিয়ঁৰে মাজে মাজে নিশাৰ নিস্তব্ধতাক আৰু বেছি ভয়াবহ কৰি তুলিলে। তাতে তেতিয়া আছিল মাঘ মাহ, আকাশ ডাৱৰীয়া ; ফেৰ্‌ফেৰীয়া বতাহো আছে। জাৰত বুঢ়া পণ্ডিতৰ হাড়লৈকে কঁপনি উঠিল। হাত-ভৰিবোৰ ঠেৰেঙা লাগিল।

মাজনিশা পণ্ডিতে গছৰ তলত কিহবাই ৰৰকৈ খচ্‌মচ কৰা যেন পালে। তেওঁ তললৈ চাই পঠোৱাত চকা-মকা জোনৰ পোহৰত দেখিবলৈ পালে দুই ৰক্ষই এচৰু সোণ আগত লৈ ভাগ-বাটোৱাৰা কৰিব খুজিছে। এজনে কৈছে—'আজি বৰ জাৰ অ' ; মাঘ মাহ কাৰণে এনে হৈছে হবলা।' অন্যজনে উত্তৰ দিছে—'ধেৎ, তই একো ন'জান দে। আকাশত মেঘ দেখা নাইনে ? মেঘ আছে বাবেহে এনে জাৰ হৈছে।' —এনেকৈয়ে মাঘ মাহৰ কাৰণে জাৰ হৈছে নে মেঘ দিয়া কাৰণে জাৰ হৈছে—এই সৰু কথাটোক লৈ দুয়োৰো বাক-বিতণ্ডা লাগিল। দৰৰা-দৰবি ধুঁজত পৰিণত হ'ল।

যুঁজ কৰি থকা সময়তে সিহঁতে কেনেবাকৈ মনিচৰ গোন্ধ পোৱা যেন পালে। চাৰিওপিনে চাই একো নেদেখি ওপৰলৈ চালে আৰু গছৰ ওপৰত এটা মানুহ দেখিলে। সিহঁতে যুঁজ কৰিবলৈ এৰি আইত গছৰ আগত থকা পণ্ডিতক কলে—'হেৰ' যমে নিচাবি নোপোৱা মানুহটো, তোক কিহে পাইছে ? তই ইয়াত কি কৰিছ ? কিয় মৰিছ্হি ? তই বাৰু কব পাৰিবিনে আজি বাৰু মেঘ দিয়া কাৰণে ঠাণ্ডা হৈছে নে মাঘ মহীয়া কাৰণে ঠাণ্ডা হৈছে ? আমাৰ মনত লগাকৈ এই কথাৰ উত্তৰ দিব পাৰিলে তোক আনি এই চৰু সোণৰ মুদ্ৰা দিম ; নোৱাৰিলে কিন্তু খিতাতে মৰিবি। গছত

উঠি আমাৰ গোৰখিনিৰ চাই থকাৰ সেকা দিম ভালকৈ। এতিয়াই ক, নহলে মৰিবি।'

পণ্ডিতে তেতিয়া ভাবি চাই মৰণত শৰণ দি কলে—'হে যক্ষসকল, মোৰ কথা শুনক। আজিৰ জাৰ মেঘৰ কাৰণেও নহয়, মাঘৰ কাৰণেও নহয়; বতাহৰ কাৰণেহে হৈছে। গতিকে আপোনালোকে তাকে লৈ কাজিয়া নকৰিব।'

যুঁজ কৰিবলৈ ওলোৱা দুই যক্ষই পণ্ডিতৰ কথাটো তেনেই সঁচা যেন পালে। কাৰণ, মাঘ মাহটো হঠাৎ হোৱা নাই আৰু ডাৱৰীয়া বতৰো সিহঁতে বহুত দিন পাইছে, তথাপি কোনো দিন সিমান জাৰ হোৱা নাছিল। গতিকে বতাহৰ কাৰণেই জাৰ হোৱাটো ঠিক। —ইয়াকে সিহঁতে ঠাৱৰ কৰিলে।

পণ্ডিতৰ কথাত [illegible] সন্তুষ্ট হ'ল। সিহঁতে [illegible] পণ্ডিতক নমাই আনিলে আৰু [illegible] গছৰ তলতে [illegible] দিলে। লগতে [illegible] পুৰণা [illegible] সোণৰ মুদ্ৰাৰ চৰুটো সিহঁতে [illegible] পণ্ডিতক [illegible] দিলে।

পণ্ডিতে সোণৰ মুদ্ৰাৰ চৰুটো [illegible] লৈ ৰাজপুৰী পালেগৈ। কটকীৰ মুখে পণ্ডিত অহা বুলি শুনি ৰজা [illegible] ওলাই আহিল, বাহীমুখ ধুবলৈও সময় নাপালে।

পণ্ডিতে আগেই প্ৰণাম জনাই কলে—'মহাৰাজ, মই কৈছিলোঁ নহয়, পণ্ডিতৰ গছৰ আগতো চাউল। চাওক এতিয়া। মই নিশা গছৰ আগতে থাকি থাবলৈও পালোঁ, এই সোণৰ মুদ্ৰা চৰুও পালোঁ।'

ৰাতিপুৱাৰ বেলিৰ ৰশ্মি পৰি জিলিকি উঠা মুদ্ৰাবোৰ দেখি ৰজা তেনেই অবাক হ'ল। তেওঁ সপোনতে আছে নে সচিততে আছে একো ঠিৰাং কৰিব নোৱাৰিলে। পণ্ডিতে তেতিয়া ৰাতিৰ সকলো ঘটনা ৰজাক বিবৰি কলে। লগতে কলে, 'মহাৰাজ, মই ক্ষুদ্ৰ পণ্ডিত। মই যেতিয়া মুখৰ একাষাৰ কথাৰে ইমান সম্পত্তি লভিলোঁ—ডাঙৰ ডাঙৰ পণ্ডিতসকলে আৰু কি কৰিব পাৰে ভাবি চাওকচোন।'

ৰজাই কলে—'নিশ্চয় ই মূল্যবান কথাই হব। আকৌ বাক বচন কাঢ়ি কওকচোন।'

পণ্ডিতে কলে—'মাঘতো নহয়, মেঘতো নহয়
বায়ু বলে য'ত তাতে জাৰ হয়।
কন্দল এৰা যক্ষদ্বয়;
উচিত কথা কৈ দিলোঁ মই॥*

হাতী-দাঁতৰ কুন্দা ....

বহুত দিন আগৰ কথা। গাঁৱৰ খিতিঙা-খেয়ালবোৰৰ ভিতৰত সিয়ে আছিল দগা। খিতিঙালি কৰি থাকোঁতেই তাৰ বয়সটো গ'ল। তাৰ লগৰ অন্য ডেকাবোৰৰ বিয়া বাৰু হৈ গ'ল। কাৰো কাৰো লৰা-ছোৱালীও এবাৰ হ'ল। তাৰ হলে বিয়াৰ কাৰণে কোনো উমঘামে নাই। তাৰ ঘাই কাৰণ হ'ল, তাক কোনেও ছোৱালী নিদিয়ে। ছোৱালী দিলে জানো সি খুৱাব পাৰিব, এয়ে সকলোৰে সন্দেহ। বহুতে তাক বিয়া কৰাবলৈ উপদেশ দিয়ে, বহুতে আকৌ বিয়া কৰাব নোৱাৰা কাৰণে অকামিলা ধোৰ বুলি হাহে। সেই সকলোবোৰ কথা নীৰৱে সহ কৰি সি জীৱনৰ দুকুৰি বছৰ কটাই দিলে।

দুকুৰিৰ দেওনা পাৰ হৈ এদিন সি বিয়াৰ উদ্দেশ্যে ছোৱালী ধৰিবলৈ অলপ দূৰলৈ ওলাল। তাৰ অৱশ্যে বংশ-গৌৰৱ ভাল আছিল। সি মজিন্দাৰ বৰুৱাৰ ঘৰৰ ল'ৰা, পিছে তেল নাপাইহে ফপৰীয়া হৈছে।

কেইবাজনীও ছোৱালী থকা এঘৰ গিৰীলৈ গৈ সি ভাবী শহুৰেকজনক টপ্‌কৰে সেৱা এটি কৰিলে আৰু ডুখৰীয়া পীৰা এডোখৰকে লৈ বহিল। যোৱাৰ কাৰণ সোধাত সি শান্তভাৱে পিতাক, ককাক, আজো-ককাক আদিৰ

---

* ন মাঘে ন মেঘে চ, বায়ুৰ্বাতি যদা তদা
অত্ৰ শীতং বিজানীয়াৎ, মা যক্ষ কলহং কুৰু।

নাম-গুণ কৈ যাবলৈ ধৰিলে। তাৰ পিছত লাজকুৰীয়াভাৱে নিজৰ বিয়াৰ প্ৰস্তাৱ দাঙি ধৰিলে।

ছোৱালীৰ বাপেকে তেতিয়ালৈ দৰাৰ লয়-লক্ষণ, স্বভাৱ-চৰিত্ৰ আদি একো নাজানে। বিয়াৰ এনে প্ৰস্তাৱ শুনি তেওঁ আচৰিত হ'ল। মনে মনে ভাবিলে, দৰাইনো ক'ৰবাত নিজৰ বিয়াৰ কাৰণে ছোৱালী ধৰিবলৈ আহেনে? ল'ৰাটো নিশ্চয় বৰ শান্ত আৰু হোজা বিধৰ হব। তেওঁ সুধিলে—'বোপা, তোমাৰ ঘৰৰ অৱস্থা নো কেনে?'

সি উত্তৰ দিলে—'মোৰ ঘৰৰ অৱস্থা অতি বঢ়িয়া নহলেও, বেয়া নহয়। পুৰণি ডাঙৰ মানুহৰ ঘৰ বুলি মোৰ ঘৰৰ কুৱাবোৰ হাতী-দাঁতৰ। পুৰা পুঁকযৰ বঙা ব'দ পৰিলে ঘৰৰ ভিতৰ-বাহিৰ তেনেই জক্‌মকাই থাকে। হালো মোৰ দুখনেই; মাত্ৰ তাৰ কাৰণে আৰু তিনিটা বলধ লাগে। এনে স্থলত আপুনি মোক নিজৰ ল'ৰাৰ দৰে লব বুলি ভাবি মই আপোনাক শহুৰ-দেউতা বুলিছেই। শহুৰ দেউতা, পিছে মোৰ ঘৰৰ কথা শুনি আপুনি মোলৈ জানো ছোৱালী নিদিব?'

শহুৰেকে তাক তাতে দুদিনমান ৰাখি ভাবি-গুণি চাই আৰু নিজৰো কেইবাগৰাকী ছোৱালী বিবলগীয়া হৈ থকাত ডাঙৰজনী ছোৱালীকে তালৈ দিলে। ধিতিঙাই বুধিৰে মোমায়েকৰ ঘৰৰ পৰাই বিয়া কৰাই গৈও মোমায়েকৰ ঘৰতে উঠিল।

পিছে সেইদৰে মোমায়েকৰ ঘৰত কিমান দিন থাকিব? এদিন সি ঘৈণীয়েকক লৈ নিজৰ ঘৰলৈ গ'ল।

অহন্তাপে-পহুন্তাপে গৈ তাৰ ঘৰৰ প্ৰকৃত অৱস্থাটোৰ কথা শহুৰেকৰ কাণত পৰিল। শহুৰ-শাহু দুয়ো মনত বৰ দুখ পালে। ধিতিঙাৰো মনত এই কথাটো বৰকৈ লাগিল। সি দেহেকেহে খাটি ঘৰখন ভাল কৰি তুলিলে।

গাঁৱৰ মানুহবোৰ অবাক হ'ল। তেওঁলোকে তাক সদায় সোধে—'তুমিনো তোমাৰ ঘৰ-দুৱাৰৰ কথা তেওঁক কি কৈছিলা?' তেওঁলোকে সোধে। উত্তৰত সি কয়—'মই তেওঁক কি কৈছিলোঁ জানা? কৈছিলোঁ—

হাতী-দাঁতৰ কুৱা
ব'দ জিলিকে পুৰা;
দুহাল বাবলৈ তিনিটা লাগে
ইয়াকে দেখি—শহুৰ ছোৱালী দিয়া নে নিদিয়া?'

মই জানো কিবা মিছা কথা কৈছিলোঁ? 'হাতী-দাঁতৰ কৰা' মানে মৰা-পাতৰ শুকান ঠাবিৰ কৰা। তাৰ মাজেদি ব'দ-বতাহ আহিব পাৰে, আকাশৰ তৰাও দেখা যায়। 'তুহাল বাবলৈ তিনিটা লাগে মানে—মোৰ গৰু মাত্ৰ এটা, অৰ্থাৎ মোৰ হাল বাবলৈ গৰু নাই বুলিলেই হয়। মই জানো ভুল কৈছিলোঁ? তথাপি শহুৰে মোলৈ ছোৱালী দিছিল; মই কি কৰিম?'

সকলোৱে তাকে শুনি হাহে।

ধোহোৰ-মোহোৰ লোক

হেৰা, ধোহোৰ-মোহোৰ লোক।
এতিয়াই খচিলি হয় মোক॥
নাক-চেপেটী, খালৈ-পেটী;
ভাগ্যেহে ৰাখিলে তোক।

এদিন এক ৰজা হাতীত উঠি ফুৰিবলৈ গৈছিল। তেতিয়া আছিল বাৰিষাৰ বতৰ। হঠাৎ আকাশ ওন্দোলাই আনিলে। মাউতে হাতী বেগাই চলাবলৈ ধৰিলে। এনে সময়তে লৰালৰিকৈ আলি পাৰ হবলৈ জপিয়াই অহা ভেকুলী এটা হাতীৰ ঠেঙৰ কাষতে পৰি ভয়ত বিচুৰ্ত্তি হ'ল। সি কোনোমতে সাহসত ভৰ দি হাতীক ভেঙুচালি কৰি গহীনাই কলে—'হেৰ, লোদৰ-পোদৰ জন্তুটো, দেখাত তই দেখোন ৰৰলৰ টোপটোৰ দৰে, আগেগোৰে সমান। (অৰ্থাৎ হাতীৰ ঠেং কেইখন ৰৰলৰ টোপৰ দৰে আগে-গোৰে সমান।) তই গাৰ ভৎ নাপাৱ নেকি? এতিয়াই দেখোন মোক গচকি মাৰিব খুজিছিলি?'

সেইবেলা ভেকুলী এটাৰ এনে ফিতাহি মৰা কথা শুনি হাতীয়ে কলে

'হেৰ' চেপেটা-নাকী, থালৈ-পেটী, গেৰেলী! সঁচাকৈয়ে তই আজি মোৰ বাটত অগা-ভেৱা কৰাৰ সেকা পালিহেঁতেন! তোৰ আজি কোনোবাটো গ্ৰহ ভাল, সেইদেখিহে বাচিলি। আগলৈ এনে কাম নকৰিবি।' এনেতে ৰভাহ-ৰৰষুণ আহিল। হাতী, মাউত আৰু ভেকুলী ভুবঙ্গে দিহা-দিহি গ'ল।

— —

কাৰ্য্যৰ বুজিয়া ভাও, ছাগৰো পখালিবা পাও

তেতিয়া ৰজা আছিল বিক্ৰমাদিত্য। বিক্ৰমাদিত্য ৰজাৰ ন'ম আজি-কোপতি মানুহৰ মুখে মুখে। তেওঁ ৰৰ ড'ঙৰ ৰজ'য়ে নহয় ডাঙৰ পণ্ডিতো আছিল। পণ্ডিত লোকসকলকো তেওঁ বৰ ভাল পাইছিল আৰু সন্মান কৰিছিল। তেওঁৰ সভাত মহাপণ্ডিত কালিদাসকে আদি কৰি নজন বিখ্যাত পণ্ডিত আছিল। এওঁলোকক সমূহীয়াকৈ নৱৰত্ন বোলা হৈছিল।

এদিন ৰজাই ভেশহন কৰি প্ৰজাসকলৰ দুখ-সুখ বুজিবৰ কাৰণে ৰাজ্যত অকলে ফুৰি আছিল। এনেতে এঠাইত বহুত শগুন শ এটা আগত লৈ মাটিত পৰি থকা দেখিলে। শটো পৰি আছে অথচ শগুনবোৰে খোৱা নাই। কিনো মৰিল আৰু কি হৈছে তাকে চ'বৰ কাৰণে তেওঁ দুখোজমান আগবাঢ়ি গ'ল। গৈ তেওঁ দেখিলে তাতে দামুৰি এটা মৰি পৰি আছে। ৰজাই তাকে দেখি উভতিব খুজিলে।

ৰজাক দেখি শগুনবোৰ লৰি আহিল আৰু তেওঁক বাট ভেটি ধৰিলে। যিফালেদিয়ে ৰজা যাব খোজে, সেই ফালেদিয়ে শগুনবোৰে তেওঁক আগ-ভেটি ধৰেহি। এইদৰে সিহঁতে ৰজাক বুলাই নি শ-টোৰ ওচৰ পোৱালেগৈ। ৰজাই কথাটো অলপ তং কৰি চাই দামুৰীটো অলপ কাষৰীয়া কৰি আনি এটাৰ সিপাৰত থলে। তেতিয়া শগুনবোৰে ৰজাক বাট এৰি দিলে আৰু

সকলোৱে একমুখে আশীৰ্ব্বাদ দিলে, 'দয়ালু মহাৰাজে আজিৰপৰা জীৱ-জন্তুৰ ভাষা বুজিব পৰা হওক।' ইয়াকে কৈ সিইঁতে শটো খাবলৈ ধৰিলে।

ৰজাই তেতিয়া শগুনৰ কথা বুজিব পৰা হ'ল। শগুনবোৰে তেওঁক তেতিয়া আগতে শ নোখোৱাৰ কাৰণটো এইদৰে কলে—'এই শটো তিনি ঘৰজীয়াৰ (ঘৰ-জোঁৱাই, ঢোকা বা চপনীয়াৰ) মাটিত পৰি আছিল। তেনে ঠাইৰ শ অশুচি খাদ্য। আমি তাক নাখাওঁ।'

ৰজাই কথাটো ভালকৈ বুজিব নোৱাৰা যেন দেখি সিহঁতে আকৌ কলে, 'তিনি ঘৰজায়া মানে তিনি পুৰুষ যাৰ ঘৰ জোঁৱাই হিচাপেই গৈছে, অৰ্থাৎ যেনিবা কোনো এজন গৃহস্থৰ জায়াৰী এজনীলৈ এটা মানুহ চাপিল। সি হ'ল প্ৰথম ঘৰ-জোঁৱাই। তাৰ ছোৱালী এজনী হ'ল। তাই ডাঙৰ হ'লত তাইলৈও এটা ডেকা চাপিল। সেই ডেকাৰো লগেক উপজিল। তাইলৈও আকৌ এটা ডেকা চাপিল। এনেকৈ তিনি পুৰুষ ধৰি একেখন ঘৰতে ঢোকা চপনীয়া থাকি গলে সেই গৃহস্থৰ মাটিবাৰী অশুচি হয়। আমি সেই মাটিত শ নাখাওঁ। আৰু এটা কথা, তিনিজন মানুহৰ সীমা-মুৰিয়লি ঠাইতো অৰ্থাৎ তিনিজনৰ সীমা খি ঠাইত পৰিছে তেনে ঠাইতো আমি শ নাখাওঁ।' ৰজাই শগুনৰ এইবোৰ কথাৰপৰা এটি বিষয়ৰ নতুন জ্ঞান পালে। শগুনবোৰে ৰজাক কলে—'মহাৰাজ, আপুনি কিন্তু পশু-পক্ষীৰ মাত-কথা বুজিব পৰা এই জ্ঞানৰ কথা কাকো নকব। কলেই আপোনাৰ মৰণ হব।'

এই ঘটনাৰ সময়ত ৰজা আছিল চফল ডেকা। ইয়াৰে কিছু দিনৰ পিছতে তেওঁৰ বিয়া হ'ল। বিয়াৰ পিছত ৰজা যাওক শহুৰেকৰ ঘৰলৈ আঠমঙ্গলা খাবলৈ। আঠমঙ্গলাত ন-জোঁৱাইক খুৱাবৰ কাৰণে পিঠা পৰমান্ন, মাছ-মঙহ উভৈনদীকৈ অনা হৈছিল। চিৰা-সান্দহ, দৈ-গাখীৰ, গুৰ, জিলাপি আদিৰ উপৰিও ঘিলা পিঠা, হাজাৰমুখী-পিঠা আদি নানা প্ৰকাৰৰ উপাদেয় বস্তু বিধে বিধে সজাই ন-জোঁৱাইৰ আগত খাবলৈ দিয়া হ'ল।

ৰজা বিক্ৰমাদিত্যই মহা আয়মেৰে বহি সেইবোৰ খবলৈ আৰম্ভ কৰিলে। এনেতে গাখীৰ-গুৰৰ গোন্ধ পাই তেওঁৰ গাত লাগি থকা পৰুৱা এটা নামি গৈ মাটিত বগাবলৈ ধৰিলে। ৰজাৰ খোৱা পাত্ৰৰ পৰা ছিটিকি পৰা মিঠাই আৰু পিঠা সি আনন্দ মনে খোৱাত লাগি গ'ল। তাকে

দেখি খণ্ডেকৰ ভিতৰতে ওচৰৰ বেৰৰপৰা অসংখ্য পৰুৱা নামি আহিল। সিহঁতে আহি ৰজাৰ পৰুৱাটোক গালি পাৰি কলে—'হেৰ খেকাৰখোৱা ধতুৰা, তই ক'ৰপৰা আহি আমাৰ ভাগৰ মিঠাই-পিঠা খোৱাত লাগিছহি! ভালে ভালে গুচি যা; নহলে কথা বেয়া হব!'

ৰজাৰ পৰুৱাই কলে—'হো কটাইঁত, মোক চিনি পোৱা নাই নে? মই ৰজাৰ লগৰীয়া পৰুৱা। মোৰ আগত তহঁতে মুখ চম্ভালি কথা কবি। ভালে ভালে মোক সেৱা জনাই গুচি যা। নহলে অপমান পাবি।'

এইদৰে এখন মস্ত কাজিয়া লাগিল। বিক্ৰমাদিত্য ৰজাই ঘটনাটো বুজি থাকলৈ এবি হাত তুলি মিচিকি মিচিকি হাঁহিবলৈ ধৰিলে। ইফালে সেই সময়ত তেওঁৰ শাহুৰেকে ন-জোঁৱাইৰ বেহৰূপ বেৰৰ জলভাইদি চাই আছিল। তেওঁ ভাবিলে—আমাৰ কিবা ভুল-চুক হ'ল হবলা, নহলেনো জোঁৱাই লৰাই এনেকৈ হাঁহিবনে?—তেওঁ কথাটো কিন্তু খুলি কব নোৱাৰিলে।

আঠমঙ্গলা ভাঙি জীয়েক-জোঁৱায়েক উভতি যাবলৈ ওলাল। তেতিয়া তেওঁ জীয়েকক কলে—'আই, ন-জোঁৱায়ে পহিলা দিনা জলপান খাওঁতে কিয় হাঁহিছিল তই তাৰ উহ লবিচোন! তাৰ নিশ্চয় কিবা গূঢ় ৰহস্য আছে।'

ঘৰ পাই ৰাতি খাই-বৈ ৰজা-ৰাণী দুয়ো শুবলৈ বিছনাত উঠিছে। তেতিয়া ৰাণীয়ে মৰম লগাই কলে—'মহাৰাজ, সিদিনা আমাৰ ঘৰত জলপান খাবলৈ বহি আপুনি কিয় মিচিক-মিচিককৈ হাঁহিছিল—তাৰ অৰ্থ আপুনি মোক কবই লাগিব।'

ৰজাৰ সকলো কথা মনত পৰিল। তেওঁ তেতিয়া কথাটো লুকাবলৈ কলে, 'নাই, নাই! সেইবোৰ বাজে কথা! মনত ভাল লাগিলে মানুহে হাঁহে। ময়ো তাকে কৰিছিলোঁ মাত্ৰ।'

ৰাণীয়ে কলে—'নহয়, তাৰ কিবা এটা ৰহস্য আছেই আছে। আপুনি যদি মোকে সেই ৰহস্য নকয় তেন্তে কাক কব?'

ৰজা বিমোৰত পৰিল। তেওঁ কলে—'ৰাণী, তোমাৰপৰা লুকাবলৈ মোৰ কোনো কথা নাই। পিছে এইটো ৰহস্য কলেই মোৰ মৰণ হব।'

ৰাণীয়ে কলে—'থওক, থওক! কথাটো কলেই আপুনি মৰিবনে? মই কওঁ—মই বাচি থাকোঁতে আপোনাৰ মৰণ হব নোৱাৰে। গণকে বিয়াৰ আগতে গণি পঢ়ি মোৰ জীৱনত বিধবা হবলগীয়া যোগ নাই বুলি কৈছে।'

ৰজাই প্ৰত্যয় মানিলে। তথাপি তেওঁ কলে—'অগত্যা তুমি যদি নেৰা তেনেহলে মই কম; কিন্তু তাকে কৰিবলৈ আমি দুয়ো গঙ্গাৰ পাৰলৈ যাব লাগিব। তাত মই চন্দন কাঠৰ চিতা তৈয়াৰ কৰাই থম। যদি মৰোঁ তেনেহলে তুমি মোক সেই চিতাত তুলি সংকাৰ কৰিবা। নমৰিলে তো ভালেই।' ৰাণীয়ে কলে—'তেনে হবলগীয়া হলে দুয়ো বাৰু একেখন চিতাতে উঠিম।'

পিছ দিনা সেইমতে কাম হ'ল। বিক্ৰমাদিত্য ৰজাই চন্দন কাঠৰ চিতা তৈয়াৰ কৰাই মানুহবোৰক যাবলৈ দি ৰাণীৰে সৈতে তাতে ৰ'ল। তেওঁ ইফালে-সিফালে চাই দেখে—গঙ্গাৰ দুয়ো পাৰে দুটা ছাগলী। গঙ্গাত তেতিয়া নিচেই অলপ মাত্ৰ পানী আছিল; কিন্তু খন্তেকৰ ভিতৰতে গঙ্গাত জোৱাৰ আহিল। তাকে দেখি মাইকী ছাগলীজনীয়ে মতা ছাগলী-টোক কৈছে—'হেৰৌ তিৰী-বাৰী-হোৱা, মোক পাৰ কৰি নিনিয়হি কিয়?'

মতা ছাগলীটোৱে উত্তৰ দিছে—'বাঘেখাইতী, মৰতী, তই দেখা নাইনে, গঙ্গাত জোৱাৰ উঠিছে। এই অঠাই-সাগৰ পানীত মই তোক আনোগৈ কেনেকৈ? পানীত পৰি মই মৰিম নেকি?'

মাইকী ছাগলীজনীয়ে ইবাৰ কলে—'হতশ্ৰী হোৱা, তোৰ এতিয়া মৰণটোলৈহে ভয় লাগিছে। মই যে ইয়াত অকলে আছোঁ—দেখা নাই-নে? তোৰ যদি মোলৈ মৰম আছে তেন্তে মোক এতিয়াই পিঠিত তুলি নেহি।'

মতা ছাগলীটোৰ খং উঠিল। সি ৰজা আৰু ৰাণীৰপৰা অলপ দূৰতে থিয় হৈ আছিল। সি বিৰক্ত হৈ কলে, 'হেৰ চুৱাখাইতী, তই মোক বাপেৰৰ দিনৰ গোলামটো পাইছ নেকি? মই কিবা তিৰোতাসেকৰা বিক্ৰমাদিত্য ৰজা নেকি, তোৰ কথাত আপোনঘাতী হম যে? সৌ বিক্ৰমাদিত্য ৰজাক নেদেখিছ? তিৰোতাৰ কথা পেলাব নোৱাৰি যম বিচাৰি এইখিনি পাইছেহি। মই তেনে পিৰৰ তিৰোতা-সেকৰা নহওঁ।'

কথা শুনি বিক্ৰমাদিত্য ৰজাৰ দুগালেদি চকুলো বাগৰি গ'ল। তেওঁ লগত নিয়া লোটা এটাত গঙ্গাৰপৰা পানী আনি ওচৰতে থিয় হৈ থকা সেই মতা ছাগলীটোৰ পাও চাৰিখন পথালি দি কলে—'ভাইটি, তুমি মোক আজি এটা ডাঙৰ শিকনি দিলা। নহলে হয়তো মই আজি

মৰিলোঁহেঁতেন।' এই বুলি তেওঁ মহাজ্ঞানী পুৰুষৰ দৰে গহীন হৈ ৰাণীক লৈ ঘৰলৈ উভতিল।

তেতিয়াৰ পৰাই ঘটনাটো এটা পটন্তৰ হিচাপে মানুহৰ মুখে মুখে ৰ'ল, বোলে—'কাৰ্য্যৰ বুজিয়া ভাও

ছাগৰো পখালিবা পাও।'

অৰ্থাৎ মানুহে গৰুক পৱিত্ৰ জন্তু বুলি কেতিয়াবা তাৰ পাও ধুৱাই-পখালি দিয়ে, ছাগলীৰ পাও কোনেও কেতিয়াও নুধুৱায়। কিন্তু পাকত পৰিলে কেতিয়াবা ছাগলীয়েও সেই সন্মান লাভ কৰিব পাৰে।

———

দহৰ চক্ৰত ভগৱানো ভূত হয়

এসময়ত ভগৱান নামে এজন পণ্ডিত আছিল। তেওঁৰ পণ্ডিতালিত ৰজা-প্ৰজা সকলো মোহ গৈছিল। সেই দেশৰ ৰজাই ভগৱান পণ্ডিতক ইমান ভাল পোৱা হৈছিল যে তেওঁ দিনো তেওঁক ৰাজসভালৈ গৈ থাকিবলৈ আদেশ দিছিল। ভগৱানে সেই সুযোগতে কেতিয়াবা দিনত দুই তিনিবাৰকৈও ৰজাৰ ঘৰলৈ গৈ ৰজাক নানা ধৰণৰ সুতলগা কথা কৈ শুনাইছিল। ৰজাৰ ওচৰলৈ পোনে পোনে যাব পাৰি আৰু ৰজাৰ মৰম পাই ভগৱান পণ্ডিতে কাকো কেৰেপ নকৰা হ'ল। তাতে ৰাজসভাৰ অন্য পণ্ডিতসকলৰ চকু খিয় হ'ল। মন্ত্ৰীয়েও অপমান বোধ কৰিলে। তেতিয়া সকলোৱে গোপনে আলচ কৰি ঠিক কৰিলে যে ৰজা আৰু ভগৱানৰ মাজত বিচ্ছেদ ঘটাব নোৱাৰিলে কাৰো মঙ্গল নাই। সেই দেখি তেওঁলোকে এটা উপায় উলিয়ালে।

মন্ত্ৰীয়ে এদিন ভগৱান পণ্ডিত ৰাজসভাৰপৰা যোৱাৰ পিছত দুৱৰীক কলে—'শুন দুৱৰী, ভগৱান পণ্ডিতৰ ওপৰত ৰজাৰ বৰ খং উঠিছে। তেওঁক দুমাহলৈ ৰাজসভালৈ আহিবলৈ বাট এৰি নিদিবি। কেনেবাকৈ আহিবলৈ দিলে তেওঁৰ মূৰটো কটা যাব আৰু লগতে তোৰো।'

দুৰ্ভাগ্যবশতঃ ভগৱান পণ্ডিতেও সেইদিনাখন ৰাজসভাৰপৰা উভতি যাওঁতে খংমূৰা হৈ গৈছিল আৰু দুৱৰীয়েও সেইটো লক্ষ্য কৰি কোৱামেলা কৰিছিল। পিছদিনা দুৱৰীয়ে ভগৱান পণ্ডিতক একোপধ্যে ৰাজসভালৈ যাবলৈ বাট এৰি নিদিলে।

ভগৱান নিৰুপায়ত পৰিল। তেওঁ দুৱৰীৰপৰা জানিব পাৰিলে যে ৰজাই আৰু তেওঁৰ মুখ চাব নোখোজে। তাকে শুনি নিৰুপায় হৈ গাঁৱে-ভূঁয়ে অনাই বনাই ঘূৰি ফুৰি কাল কটাবলৈ ধৰিলে।

ইফালে ৰজাই ভগৱান পণ্ডিতক একে দেখাবিয়ে কেইবাদিনো সভাত নেদেখি তেওঁ ক'লৈ গৈছে, কিয় অহা নাই আদি সুধিলে। কেইবাজনো বিষয়াই একেমুখে কলে যে ভগৱান পণ্ডিত জহনিত পৰি মৰিল। ৰজাৰ বৈদ্যয়ো সেই কথা সমৰ্থন কৰিলে। ৰজাই মনত দুখ পালে।

কিছুদিনৰ পিছত এদিন ৰজা যাওক অন্য কোনো এখন দেশলৈ! লগত সৈন্য-সামন্ত, পাত্ৰ-মন্ত্ৰী, হাতী-ঘোঁৰা আদি অলেখ। হাবিৰ মাজ পাওঁতে ভাগ্যক্ৰমে ভগৱান পণ্ডিতে দূৰৰপৰা ৰজাক দেখিলে। তেওঁ ভাবিলে ৰজাই যেতিয়া তেওঁৰ মুখ চাবলৈ ইচ্ছা নকৰে তেনেস্থলত সেই সময়ত তেওঁক দেখা দিয়া বিপদৰ কথা হব। ইফালে আকৌ মনটোৱেও নপতিয়ায়। তেওঁ ভাবিলে—সিফালে যিয়েই হওক, ৰজাৰ আগত মনৰ দুআষাৰ কথা কমেই কম। ইয়াকে ভাবি তেওঁ এটা কাম কৰিলে। ৰজাৰ সম্মুখলৈ পোনে পোনে নগৈ হাবিৰ মাজৰ এজোপা জোপোহা গছত উঠি ললে আৰু টেটু ফালি চিঞৰি চিঞৰি কবলৈ ধৰিলে—'মহাৰাজ, মই ভগৱান পণ্ডিত; মই ভগৱান পণ্ডিত। তাৰপৰা আহি এইখিনি পাইছোঁ। মই আপোনাক লগ ধৰিব খোজোঁ! মহাৰাজে অনুমতি দিয়ক।'

পাত্ৰমন্ত্ৰী আদি বিষয়াসকলে বুজিলে যে কথা বিষম। যদিহে ভগৱান কেনেবাকৈ ৰজাৰ ওচৰ পায়হি তেনেহলে সকলো কথা সৰবি হৈ পৰিব। তেতিয়া কাৰ ক'ত কি হয় কব নোৱাৰি! বুঢ়া মন্ত্ৰীয়ে ৰজাক তৎক্ষণাত

কলে—'মহাৰাজ দেখিছে নে? ভগৱান মৰি কাহানিবাই ভূত হ'ল! সি এতিয়া ভূত হৈও আহি ৰজাক ধৰিব খোজে। আমি লগত থকাত সাহ কৰিব পৰা নাই। সি লম্ভিব লাগিলে—মহাৰাজৰ কি হয় কব নোৱাৰি ভূতৰ চকুলৈ নাচাব মহাৰাজ! তলমূৰ কৰক, তলমূৰ কৰক।' এনেকৈ ৰজাকি উপদেশ দি তেওঁ চিঞৰি চিঞৰি কবলৈ ধৰিলে—'সাৱধান ভগৱান, তই এখোজো আগ নাবাঢ়িবি। আহিলে মৰিবি।'

ৰজাই মন্ত্ৰীৰ কথামতে কাম কৰিলে। ভগৱান পণ্ডিতে তেতিয়া কথাৰ যেন অলপ গমগতি বুজিব পাৰিলে। ৰজা পাৰ হৈ যোৱাত তেওঁ সকলো কথা ঘৈণীয়েকৰ আগত কলেগৈ। ঘৈণীয়েকে কলে—'পণ্ডিত হলেই নহয়, কথাৰ মেৰপাক বুজিব লাগে! দহৰ লগত মিলিব নোৱাৰিলে সকলোৰে বিপদ। এতিয়াও গৈ মন্ত্ৰীক গোপনে দেখা কৰি তুষ্ট কৰক। নহলে আমাৰ ৰক্ষা নাই। কেৱল ৰজাক জানিলেই নহয়, অন্যকো জানিব লাগে'।

ভগৱানে কলে—'ঠিক কথাই কৈছা। দহে চক্ৰান্ত কৰিয়ে তো আজি মোৰ এই গতি কৰিলে। হায়! দহৰ চক্ৰত পৰি আজি সশৰীৰে জীয়াই থকা এই ভগৱান পণ্ডিতো ভূত হ'ল।' তেওঁ তেতিয়া এটা বচন মাতি কলে—'কিনো কথা অদ্ভূত; দহৰ চক্ৰত ভগৱানো হয় ভূত।'*

---

* চক্ৰং সেৱ্যং নৃপং সেৱ্যো, ন সেৱ্যঃ কেৱলং নৃপঃ।
অহো চক্ৰস্য মাহাত্ম্যং ভগৱান ভূততাং গতঃ॥

মাহ-কৰাই খাওঁ, বাটে বাটে যাওঁ

এহাল বুঢ়া-বুঢ়ী আছিল। দুয়ো মাছ খাবলৈ ভাল পায়। বাৰিষা হলে বুঢ়ায়ো চেপা পাতে, বুঢ়ীয়েও চেপা পাতে। সদায় বুঢ়াৰ চেপাত লাগে চেং, বুঢ়ীৰ চেপাত লাগে বেং। বুঢ়ীৰ মনত বেজাৰ লাগিল। এদিন তেওঁ এটা বেং ধৰি লৈ কলে—'বাপেৰে বেং তোকে আজি খাম।' বুঢ়ীক ইতিকিং কৰি বুঢ়াই তেওঁৰ চেপাত লগা চেং মাছ এটা ধৰি লৈ কলে—'বাপেৰে চেং তোকে খাম।'

বুঢ়ীয়ে বেংটো ধৰি মাটিত আফাল মাৰি দিব খুজিছে এনেতে সি বুঢ়ীৰ হাতৰপৰা পিচলি গৈ পীৰাৰ তলত সোমাল। বুঢ়ীয়ে তাক খেদি ধৰিবলৈ যোৱাত সি কলে,—'বুঢ়ী আই, বুঢ়ী আই, মোক নামাৰিবা। তোমাক মই হাল বাই খুৱাম।'

বুঢ়ীৰ উঠিল হাঁহি। 'হেৰ' লোধোমা বেং, তই মোক হাল বাই দি ৰজা কৰিব নালাগে দে'—বুলি বুঢ়ীয়ে খৰি এডাটাৰে বেংটোৰ গাত মাৰ মাৰিব খোজোত বেংটোৱে আকৌ মিনতি কৰি একে কথাকে কলে। বুঢ়ীয়ে তেতিয়া কলে—'বাৰু তোক আজিলৈ মই মাৰি নেপেলাওঁ। তই মোক একো কৰি খুৱাব নালাগে। পিৰালিৰ চুকতে বহি থাক।'

পিছদিনা ৰাতি নৌ পুৱাওঁতে বেংটোৱে উঠি পথাৰত হাল জুৰিলেগৈ! হালৰ মুঠিত বহি সি গৰু খেদি আছে। ওচৰেদি যোৱা মানুহ কোনেও তাক দেখা নাই। ভাগ্যক্রমে সেই দেশৰ ৰজা গ'ল সেই পিনেদি। ৰজাৰ দুলীয়াই বেঙে দিয়া কেঁচা আলিৰ ওপৰেদি দোলা কঢ়িয়াই গৈ থকা দেখি সি কবলৈ ধৰিলে—'হেৰ' মৰ,—কণাহঁত! কেঁচা আলি দেখা নাই নে? অলপ মান ঘূৰি যাব নোৱাৰ নে? পথাৰেদি নামি গলেও হয় দেখোন!' ৰজা, ৰজাৰ দুলীয়া, পাত্র-মন্ত্রী, লগৰীয়া সকলোৱে ঘূৰি ঘূৰি চাই কাকো নেদেখি পুনঃ যাবলৈ লাগিল। পুনঃ বেঙৰ সেই একে কথা! ৰজাই কলে 'এই গৰুহালকে ধৰি খেদি লোৱাহক।'

ৰজাৰ লগুৱাই বেঙৰ হালৰ গৰু ধৰিবলৈ যোৱা দেখি বেঙে হালৰ মুঠিৰপৰা নামি ওচৰতে থিয় হৈ থাকিল। লগুৱাইতে গৰুহাল খেদি লৈ গ'ল। বেঙে আৰু একো নকৈ ঘৰলৈ আহি বুঢ়ীক কলে—'বুঢ়ী আই, হব লগা হ'ল। গৰুহাল ৰজাই খেদি নিলে। কেঁচা আলিৰ ওপৰেদি মানুহবোৰ যোৱা দেখি মই হক কথা দুআষাৰ কওঁতেই ৰজাই এই কাম কৰিলে। বাৰু মযো সহজে নেৰিছোঁ। মই তোমাৰ গৰু আজিয়েই মোকোলাই আনিম। মোক তুমি মাহ-কৰাই এমোনা দিয়া। সোনকালে দিয়া।'

বুঢ়ীয়ে বেঙক মাহ-কৰাই এমোনা ভাজি দিলে। তাকে লৈ বেং যাবলৈ লাগিল। বাটত যাওঁতে বেঙে কয়—'মাহ-কৰাই খাওঁ, বাটে বাটে যাওঁ; মোৰ লগত যি আছে তাকো এমুঠি দিওঁ।' বেঙৰ কথা শুনি হাবিৰ সিংহ বাঘ, হাতী, মৌ, বৰল, পৰুৱা আদি অলেখ জীৱ-জন্তু ওলাই আহিল আৰু মাহ-কৰাই খাবলৈ পাই বেঙৰ লগ ললে। আটায়ে গৈ ৰজাৰ নগৰৰ সিংহ দুৱাৰ পালে। বেঙে তেতিয়া কলে- 'তোমালোক ইয়াতে ৰবাহক। মই ৰজাক আগে দুআষাৰ কথা সুধি আহোঁ। তেওঁ যদি মান্তি হয় ভালেই হ'ল, নহলেহে যুদ্ধ কৰিব লাগিব।

এনেকৈ কৈ বেঙে ৰাজসভাত উপস্থিত হ'লগৈ। সি ৰজাক দূৰৰপৰাই সাষ্টাঙ্গে প্ৰণাম জনালে। তাৰ পিছত সি ৰজাক বুঢ়া-বুঢ়ীৰ গৰুহাল খুজলে। ৰজাই নিদিওঁ বুলি কোৱাত বেঙে কলে—'মহাৰাজ, তেনেহলে আপোনাৰ লগত যুদ্ধ হব।' বেঙৰ কথা শুনি ৰাজসভাৰ সকলো লোকে হাঁহিলে। বেঙক ৰজাই ধৰি বান্ধি থবলৈ আদেশ দিলে। তাকে শুনি বেং জপিয়াই জপিয়াই উভতি গৈ ৰজাৰ সিংহদ্বাৰ পালে। ৰজাই খেদিবলৈ হাক দি হাঁহি হাঁহি আমোদ লভিলে।

বেঙে গৈ লগৰীয়াবোৰক যুদ্ধৰ আদেশ দিবহে পালে---সকলোৱে নিজৰ নিজৰ জ্ঞাতিবৰ্গ লৈ ৰজাক আক্ৰমণ কৰিলেগৈ। ডাঁহ, বৰল, মৌমাখি আদিৰ আক্ৰমণত ৰজা বিকল হৈ পৰিল। তেওঁ তেতিয়া বেঙৰ লগত সন্ধি কৰি আধা ৰাজ্য বেঙক দিলে। বেঙে গৰুহাল খেদি লৈ আহি বুঢ়া-বুঢ়ীক সকলো কথা কলে। বুঢ়া-বুঢ়ীয়ে এইবোৰ কিবা সপোন যেনহে পালে।

বেঙে তেতিয়া বুঢ়া-বুঢ়ীক নি ৰজাৰ আধা ৰাজ্যত ৰজা আৰু ৰাণী পাতিলে আৰু নিজে মন্ত্ৰী হৈ ৰাজ্য চলাই থাকিল। তেতিয়াৰেপৰা বুঢ়া

বুঢ়ীয়ে চেপা পতা কথা আৰু বেঙৰ মাহ-কৰাই খোৱা গীতটো সকলোৰে মুখে মুখে হ'ল।

মাহ-কৰাই খাওঁ, বাটে বাটে যাওঁ
মোৰ লগত যি আহে, তাকো এমুঠি দিওঁ।

কি হুম্ হুম্ কি গুম্ গুম্

আহোম ৰজা কোনোবা এজনে এবাৰ ভাবিলে—দেশত থকা ধোদবোৰে একো কাম-কাজ নকৰে। সিহঁতক ভগৱানে সেইদৰেই সৃজিছে। গতিকে সিহঁতকো পোহ-পাল দিয়া ৰজাৰ এটা কৰ্ত্তব্য।

তেওঁ তেতিয়া ঢোল পিটি ৰাজ্যত জনাই দিয়ালে যে ধোদবোৰক ৰজাই পুহিব; সিহঁত ৰজাৰ সভালৈ যাব লাগে।

এই খবৰ পাই বহুত ধোদ আহি ৰজাৰ চ'ৰাৰ ওচৰত হাজিৰ হ'ল। সিহঁতক ৰজাই ওচৰে এখন শুখ বাকৰিয়নিত ৰশাল-ডাঙৰ খেৰী ঘৰ কৰাই থাকিবলৈ দিলে। সিহঁতে খায় আৰু শোৱে। তাকেদেখি দিনে দিনে ধোদৰ সংখ্যা বাঢ়িবলৈ ধৰিলে। ঘৰ সাজোঁতে সাজোঁতে এখন গাঁও হৈ পৰিল।

এই আটাইবোৰ ধোদ আকৌ সঁচা ধোদ নাছিল। কিছুমান আছিল আচল ধোদ, কিছুমান নকলী ধোদ। দুখ-কষ্ট নকৰাকৈ খাই থকাৰ লোভত সেইবোৰ আহি গোট খাইছিল। হিন্দু, মুছলমান, অসমীয়া, বঙালী আদি নানা জাতিৰ ধোদ আহি ভৰি পৰিছিল। কিছুমান এনে এলেহুৱা ধোদ আছিল যে সিহঁতে মুখেৰে কথাবোৰ সম্পূৰ্ণ কৰি কবলৈয়ে টান পাইছিল যেনে 'পিঠি পুৰিল' নুবুলি সিহঁতে কৈছিল—'পিঃ পুঃ'।

ধোদৰ সংখ্যা দিনে দিনে বাঢ়ি যোৱা দেখি, এদিন বুঢ়া মন্ত্ৰীয়ে ৰজাক কলে, 'মহাৰাজ, ধোদ পুহি ধৰ্ম্ম কৰোঁতে এতিয়া আপোনাৰ ৰাজ-ভঁৰালৰ ধন-সোণ সোপাই সাং হব।' ৰজাই ভাবি চাই দেখিলে—কথা সঁচা। তেওঁ মন্ত্ৰীক তাৰ প্ৰতিকাৰ কৰিবলৈ কলে।

তেতিয়া মন্ত্ৰীয়ে এদিন ৰজাক কলে, 'মহাৰাজ, মই আজি ধোদৰ পৰীক্ষা লম। আপুনি হলে বাধা নিদিব। তাৰপৰা আপুনি আজি আচল ধোদ আৰু নকলী ধোদ চিনিব পাৰিব।' ইয়াকে কৈ তেওঁ এটা লগুৱাক কলে—'লগুৱা, কালিলৈ চুপৰীয়া ধোদবোৰ যেতিয়া শুই থাকে তেতিয়া সিহঁতৰ ঘৰটোত জুই লগাই দিবি আৰু লগে লগে জুই, জুই বুলি চিয়ঁৰিবি।'

পিছদিনা মন্ত্ৰীৰ নিৰ্দেশত ঘৰত জুই দিয়া হ'লত নকলী ধোদবোৰ জুইত পোৰা যোৱাৰ ভয়ত লৰি আঁতৰিল। আচল ধোদবোৰে কিন্তু কেৰেপকে নকৰিলে। ঘৰত জুই লাগোতে এটা আচল ধোদে অন্য এটাক কৈছিল—

'কিঁ হুম্ হুম্?'

অন্যটোৱে উত্তৰ দিছিল—'কি গুম্ গুম্?'

সেই সময়তে গাত ঘৰ পোৰা জুইৰ ভয়ঙ্কৰ তাপ লগাত আৰু অন্য এটা ইনো কয় কি?—'পিঃ পুঃ' অৰ্থাৎ পিঠি পুৰিছে।

তাৰ কাষতে শুই থকা দোচোৰা এটাই উত্তৰ দিছিল—'সি শো।'—অৰ্থাৎ সিকাতি হৈ শোৱা। সিহঁত জুইত পুৰি মৰিবৰ উপক্ৰম হ'ল—তথাপি কিন্তু নপলাল। চকুও নেমেলিলে।

সিহঁত দুয়োকো ৰজাই মানুহ লগাই ঘৰৰপৰা বাহিৰ কৰালে। ধোদবোৰৰ ভিতৰত সিহঁতকে প্ৰথম শ্ৰেণীত ধৰা হ'ল।

ঘৰত জুই লগা সময়ত গাত তাপ লগাত দুটা বঙালী ধোদে এইদৰে কোৱা-কুই কৰিছিল—। এটাই কৈছিল—

'কত বৰি জলেৰে।'

অন্যটোৱে উত্তৰ দিলে—'কেৱা আখি মেলেৰে।' অৰ্থাৎ আজি যেখোন গৰম কেনে এক? পিঠি পুৰি পেলাব খোজে। বহুত বেলি গুলাইছে হবলা। অন্যটোৱে উত্তৰ দিছিল—'সেইবোৰ চাবলৈ নো কোনে চকু মেলে? শুই থাকা।' এই হালকো ৰজাই উদ্ধাৰ কৰাইছিল।

এই কেইটাত বাহিৰে পলৰীয়া ধোদবোৰক ৰজাই ধৰাই আনি এটা ডাঙৰ আলি বন্ধোৱা কামত লগাই দিলে। এই আলিটোৱে ধোদৰ আলি। ধোদৰ আলি আজিও ওপৰৰ ঘটনাটোৰে সাক্ষী হৈ শিৱসাগৰ জিলাত আছে।

হৰিহৰ চক্রে যো বীৰ উপজল.........

হৰিহৰ চক্রে যো বীৰ উপজল
তাপিত কৰ্ণক বাপে ;
হুতাশন বক্ত্রে যো বীৰ উত্তৰল
সো বীৰ পৰল কমন বিপাকে ?
সৰ্ব্বধৰ তাধৰ তাধৰ বিপৰীত নাদে,
সীতাপতি পিতাক মিতক গমনক বাধে ;
অলি-বাহন-বাহন হামু গয়ো,
শশীবাহন-বাহন ঠেক ভয়ো।
পৱন-সুতাত্মজ ভাঙিয়া গয়ো ;
ৰবিসুত মমকৰে লাগিয়া ৰয়ো।

এক আছিল বুঢ়া পণ্ডিত। তেওঁ পুতেকলৈ বাছি-বিচাৰি এজনী চলক-ভলক ধৰণৰ শিক্ষিতা ছোৱালী বিয়া কৰাইছিল। শহুৰ যেনে, বোৱাৰীও আছিল তেনে।

এদিন গধূলি সময়ত চোতালত বুঢ়া এটাত বহি পণ্ডিতে হোকা খাই আছিল। এনেতে বোৱাৰীয়েক আহিল পুখুৰীৰপৰা উভতি। অলপ আগতে বোৱাৰীয়েকে কাষত কলহ লৈ পানী আনিবলৈ যোৱা পণ্ডিতে দেখিছিল। এতিয়া ঘূৰি আহোঁতে বোৱাৰীয়েকৰ কাষত কলহ নেদেখি আৰু তাৰ ঠাইত কলহৰ কাণটো মাত্র দেখি বুঢ়া আচৰিত হ'ল। তেওঁ সুধিলে—'কি হ'ল আইটি? কলহটো ভাগিল কেনেকৈ? ঘটনা কি?'

বুঢ়াই তাকে শ্লোক মাতি কলে—'হৰিহৰৰ (কুমাৰৰ) চক্ৰত যি বীৰৰ (মাটিৰ কলহৰ) জন্ম হৈছিল আৰু যাক মহাবীৰ কৰ্ণৰ বাপেকে (সূৰ্য্যই) তাপ দি টান কৰি তুলিছিল, তাৰ পাছতো আকৌ জুইৰ মুখত পৰিও যি বীৰ সাৰি আছিল (পাগ দিয়াতো ঠিক থাকিল) সেই বীৰ (কলহ) আজি পৰিল (ভাগিল) কেনেকৈ?'

আগতে কৈছোঁ ঘোৰাৰীয়েকো নাছিল কম। তেৱেঁ। বুঢ়াৰ কথাৰ উত্তৰ শ্লোকেৰে দি কলে—'সৰ্ব্বধৰক (পৃথিবীক) যি ধৰি আছে (পৰ্ব্বত) আৰু তাকো যি ধৰি আছে (মেঘ), অকাশত তাৰ বিপৰীত গৰ্জ্জন শুনিছিলোঁ। লৰালৰিকৈ মই তাকে দেখি বৰষুণ শীঘ্ৰে আহিব বুলি ভাবি পুখুৰীৰপৰা পানী একলহ আনিবলৈ গৈছিলোঁ। বাটতে সীতাপতি-পিতাকৰ (ৰামৰ পিতাকৰ, দশৰথৰ) মিতাই (জটায়ু পখীয়ে) মোক বাটত আমনি কৰিছিল (বতাহ বৰষুণৰ ভয়ত বাটৰ ওপৰেদি অহাযোৱা কৰিছিল)। তথাপি মই অলিবাহনৰ বাহনলৈ (অলি=ভোমোৰা; তাৰ বাহন পদুম; পদুমৰ বাহন পানী বা পুখুৰী; তালৈ) গলোঁ। পুখুৰীৰ ওচৰ পাওঁতে শশীবাহনৰ বাহনৰ লগত (শশী=চন্দ্ৰ; শশীবাহন=চন্দ্ৰশেখৰ বা সদাশিৱ; সদাশিৱৰ বাহন ষাঁড় গৰু) সেই ষাঁড় গৰুৰ লগত ঠেকাঠেকি বা ভেটা-ভেটি হলোঁ। তাৰে ফলত পৱন-সুতাত্মজৰ (পৱনসুত=ভীম; ভীমৰ আত্মজ বা পুত্ৰ=ঘটোৎকচ অৰ্থাৎ ঘট বা পাত্ৰ) ভাগি গ'ল; আৰু কেৱল ৰবিসুত (কৰ্ণ বা কাণ) মাত্ৰ মোৰ হাতত লাগি থাকিল।'

কথা শুনি তৃপ্তি পাই বুঢ়াই এফো সামাতি ঘোৰাৰীয়েকক মনে মনে বাঃ বাঃ দিলে।

ওলোটা বুজিলি ৰাম

এটা অন্ধ ভিখাৰীয়ে কাৰোবাৰ মুখত শুনিছিল যে ভগৱানক খুজিব জানিলে ভগৱানে মানুহক সকলো বস্তু দিয়ে। সি ভাবিলে—মই অন্ধ মানুহ। মোকতো মানুহে যি খোজো তাকে দিয়েই। মোৰ খাবলৈ ভাত আৰু পিন্ধিবলৈ কাপোৰ পালেই হ'ল। মোৰ কেৱল দুখ খোজ কাঢ়ি ফুৰাত; গতিকে মই যদি উঠি ফুৰিবলৈ এটা ঘোঁৰা পাওঁ তেন্তে মোৰ

সকলো দুখ দূৰ হব। —ইয়াকে খিৰ কৰি সি বাটৰ কাষৰ আঁহত গছ এজোপাৰ তলত বহি দিনে-ৰাতিয়ে চিঁয়ৰি কৰলৈ ধৰিলে—'ৰাম, মোক ঘোঁৰা এটা দিয়া, ৰাম মোক ঘোঁৰা এটা দিয়া।'

অনেক দিন এইদৰে থকাত ওচৰৰ মানুহবোৰৰ আমনি লাগিল। দৈৱাৎ ওচৰতে থকা ধোবা এটাৰ গাধঘোঁৰা এটা সেই সময়ত মৰিল। মানুহবোৰে যুগুতি কৰি সেই মৰা ঘোঁৰাটো নি ভিখাৰীৰ কাষত থলে আৰু ভিখাৰীক সিঃতৰ এজনে কলে—'ৰামে তোমাক ঘোঁৰা দিছে। সেই ঘোঁৰা তোমাৰ ওচৰতে আছে, হাত দিলেই পাবা, লোৱা।'

অন্ধই হাতেৰে চুই চাই মৰা ঘোঁৰাটো পাই খঙত জ্বলি পকি ক'লে—'আৰে, মই জানো মৰা ঘোঁৰা বিচাৰিছিলোঁ! ৰামেও নুবুজে!!' সি তেতিয়া চিঞৰি চিঞৰি কৰলৈ ধৰিলে—'ওলোটা বুজিলি ৰাম, ওলোটা বুজিলি ৰাম। এনেকৈ কৈ সি আঁতৰি গ'ল।

তেতিয়াৰেপৰা ওলোটা বুজিলি ৰামৰ গল্প চলি থাকিল।

অদ্য ভক্ষ্য ধনুৰ্গুণঃ

এটা চিকাৰীয়ে ধনু-কাঁড় লৈ হাবিত চিকাৰ কৰি ফুৰিছিল। এদিন সি এটা পহু-পোৱালি আৰু এটা গাহৰি মাৰি কেকো-জেকোকৈ কান্ধত লৈ গৈ থাকোঁতে এটা ফেটী গোম সাপে তাক খুঁটিলে। সি খঙতে মাৰ মাৰি সাপটো মাৰিলে। সাপ মৰিল সঁচা, কিন্তু তাৰ বিষত চিকাৰীও খিতাতে মৰি সাপৰ ওচৰতে পৰি থাকিল।

এটা শিয়াল যাওক সেই পিনেদি। সি গৈ দেখে তাৰ মহাভোজ উপস্থিত হৈছে। একে ঠাইতে দুটা জন্তু-পোৱালি, এটা মৰা মানুহ আৰু এটা মৰা সাপ। ওচৰতে এখন ধনুও। ধনুৰ গুণডালো কিহবাৰ ছালৰ। ইমানবোৰ বস্তু একে ঠাইতে দেখি সি আনন্দত নাচিবলৈ ধৰিলে।

তাৰ পিছত সি ভাবিলে—মোৰ এমাহ যাব এই মৰা মানুহটোৱে; পহুটো আৰু গাহৰিটো থাম ডমাহ; সাপটোৱেও অন্ততঃ এদিন যাব। এইবোৰ ভাল বস্তু পিছে পৰে খাম। আজি বাৰু ধনুৰ গুণডালকে খোৱা যাওক।—এইদৰে ভাবি-গুণি সি ধনুগুৰ্ণত কামুৰিবলৈ ধৰিলে। গাৰ জোৰেৰে ধনুত গুণ লগোৱা আছিল। সি কামুৰি কামুৰি আজোৰ মৰাৰ লগে লগে ফট্ কৰে ধনুৰ জোঁৰ ছিগিল আৰু কোব খাই শিয়াল সেই পিনেই মূৰ্চ্চা গ'ল আৰু মৰি থ'কিল।

সংস্কৃতৰ এই গল্পটোৱে অলপ অন্য অৰ্থত অত্য ভক্ষ্য ধনুগুৰ্ণঃ কথাষাৰ অসমীয়াত চলি আছে। অসমীয়াত অনাৎনৰ সময়ত যৎকিঞ্চিৎ কিবা খাবলৈ পালে—তাকেই অত্য ভক্ষ্য ধনুগুৰ্ণঃ বোলা হয়।*

তলৰ মাটি ওপৰ কৰা

এটা বামুণে টকাৰ ব্যৱসায় কৰিছিল, তাৰ মানে টকা ধাৰে দি সুতত মানুহ বাই চলি আছিল। এদিন তেওঁ এটা খকৰাৰ ঘৰলৈ টকাৰ সুত সাধিবলৈ গ'ল। তেতিয়া খকৰাটো ঘৰত নাছিল। তাৰ সৰু পুতেকটো ঘৰত আছিল। সি কোনোমতে গৰুৰ পাছত ফুৰিব পৰা হৈছিল।

বামুণে গৈ তাক অলপে থকা দেখি সুধিলে—'হেৰ' ল'ৰা! তোৰ বাৰ, বাপেৰ ক'লৈ গৈছে?' সিও কম নাছিল। সি কলে 'কি কলৈ গৈছে? বাৰিষানো এনে সময়ত মানুহ ক'লৈ যায়? আই গৈছে সাতদিনীয়া মৰা জীয়াবলৈ, বোপাই গৈছে—তলৰ মাটি ওপৰ কৰিবলৈ।'

কথা শুনি বামুণৰ উঠিল খং। তেওঁ ভাবিলে—ল'ৰাই তেওঁৰ লগত পেংলাই কৰিছে। তেওঁ কলে—'মই আতাবেক তই চিনি পোৱা নাই

---

* মাসমেকং নৰো যাতি, দ্বৌমাসৌ মৃগশূকৰৌ;
অহিৰেকং দিনং যাতি, অত্য ভক্ষ্য ধনুগুৰ্ণঃ।

হৰলা। টকাৰ সুতত তইঁতে আটাইকে এইবাৰ বাম জ'লকৈ, চিনি পাবি। সুত এপইচাও এৰি নিদিওঁ।'

ল'ৰাই কথা বিষম দেখি কলে—'দেউ খং নো কৰে কিয়? মোৰে শপত, খং নকৰিব। মই সঁচাকৈ কৈছিলো মিছা কোৱা নাই। আই গৈছে সাত দিন আগতে তুলি থোৱা কঠাখিনি কৰলৈ। দেপাই গৈছে হাল বাবলৈ; হাল বাওঁতে জানো তলৰ মাটি ওপৰ নহয়? আপুনি বহক আৰু তামোল-ছালি খাই যাওক। নবহিলে আই-বোপায়ে শুনিলে মোক মাৰিব।'

বামুণ সৈমান হ'ল। তেওঁ বহিল। লৰাটোৱে বাকলি গুচুৱা তামোল এটা আৰু পাণ দুপাত আনি বটা এখনত সজাই দি কটাৰী বিচাৰিবলৈ ধৰিলে। কটাৰী বিচাৰি হাবাথুৰি খোৱা দেখি বামুণে কলে—'হেৰ' বোপাই, কটাৰী বিচাৰি তই দুখ খাব নালাগে, আহ। মই দাঁতেৰেই পাৰিম।' এই বুলি বামুণে তামোলটো দাঁতেৰে কামুৰি ফালি পেলালে। ল'ৰাটোৱে তাকে দেখি হাত-চাপৰি বজাই উলহতে কবলৈ ধৰিলে 'চাবাইচ, আতাৰ দাঁতহে দাঁত! এই একেটা তামোলকে আমাৰ বোপায়ে কামুৰিছিল, আয়ে কামুৰিছিল—ময়ো কামুৰিছিলোঁ—আমি কিন্তু ভাঙিব পৰা নাছিলোঁ—এতিয়া আতাইহে ভাঙিলে। মই আৰু এই কথা সকলোকে কম!'

ল'ৰাৰ কথা শুনি বামুণে ভাবিলে—তেনেহলে মোৰ আজি জাতি গ'ল। শূদ্ৰই কামোৰা তামোল যদি মই কামুৰিলোঁ তেন্তে নো জাতি আৰু ক'ত ৰ'ল? যি হ'ল হ'ল; ল'ৰাক ফুচুলাই হাত কৰিব লাগিব। এই ভাবি তেওঁ কলে—'হেৰ' বোপাই, এই কথা যেন তই কাৰো আগত নকৰ। মই তইঁতৰ এই বছৰৰ টকাৰ সুত নলওঁ বাৰু।' সি মুৰ দুপিয়াই 'বাৰু' বুলি শলাগিলে। বামুণ গ'ল।

বাপেক-মাক দুপৰীয়া ভাত-পানী খাবলৈ ঘৰলৈ অহাত সি সকলো কথা কলে। বাপেকে তাক তেনে কামৰ কাৰণে কেইটামান মাৰ শোধালে। তাতে সি কান্দি কান্দি গৈ আলি এটাৰ ওপৰত বহি থাকিল। এনেতে এটা চিপাহী সেই পিনেদি বাওঁতে তাক তেনেকৈ বহি থকা দেখি সুধিলে —'হেৰ' ল'ৰা, এই আলিটো ক'ত লাগিছে জানা?' সি কলে—'তই কথা নেদেখি? ক'ত লাগিছে দেখা নাই? সি মোৰ টিকাত লাগিছে।'

পুলিচৰ খং উঠিল আৰু তাক ধৰি নিলে। ঘৰ পাই পুলিচে পইচা এটা দি তাক বজাৰৰপৰা আঠিয়া-কল কিনি আনিবলৈ ক'লে। সি গ'ল।

পোহাৰী এজনীয়ে কল বেচি আছিল। কলৰ দাম কি বোলাত তাই কলে—'দাম আৰু কেলেই সুধিব লাগিছে? পইচা এটা পেলাই দিবি আৰু বুকুত গোৰ মাৰি কল ছয়টা লৈ গুচি যাবি।' তাকে শুনি সি পইচাটো পেলাই দি কল ছয়টা লৈ পোহৰীৰ বুকুত গোৰ মাৰি দিলত বজাৰত হুলস্থুল লাগি পৰিল। পোহাৰী আৰু সি দুয়ো জোটাপোটাকৈ সেই পুলিচটোৰ ওচৰলৈয়ে আহিল।

বাটতে সি ছটা কলৰ তিনিটা খালে। বাকী তিনিটা কল হাতত লৈ পোহাৰীৰ লগত পুলিচৰ ঘৰ পালেহি। পুলিচে পোনেই কলে—'হেৰ' কল দেখোন তিনিটাহে, বাকী তিনিটা?'

সি কলে, 'দেউতা' এটা জুতি চাওঁতে গ'ল; এটা কিনি উঠি ভালকৈ লব খোজোঁতে পিচলি পেটত সোমাল আৰু এটা বাটত আহোঁতে তোৰ লগাত এইদৰে খালোঁ।'—এই বুলি এটা খাই দেখুৱালে।

পুলিচে কলে—'হৰ,' মোৰ আগতে দেখোন খালি?' সি টপৰাই কলে—'হয় দেউতা, মোৰ ভুল হৈছে। মোক ক্ষমা কৰক?' এই বুলি পুলিচৰ পিনে পিছ দি আৰু এটা খালে। তেতিয়া বাকী থকা কলটো পুলিচে থপিয়াই নি খাই থলে; আৰু পোহাৰীক 'কলৰ সোৱাদ নাই যা' বুলি ধমকি দি পঠালে।

পোহাৰীও কম নহয়। তাই গৈ সেই দেশৰ ৰজাৰ ওচৰত গোচৰ দিলেগৈ। ৰজাই মন্ত্ৰীক বিচাৰ কৰিবলৈ কলে। মন্ত্ৰীয়ে তাৰ মুখৰপৰা সকলো কথা শুনি কলে—'এৰা, তোৰ এইবোৰ কথা দেখোন হেজাৰ টকা মূল্যৰ! পোহাৰী, তই বাৰু যা। ইয়াৰ এই হেজাৰ টকীয়া কথাৰ মূল্য বাৰু আমিয়ে দিম, তই দিব নালাগে।

সি মন্ত্ৰীৰ হাতৰপৰা এৰাই এইবাৰ আকৌ ৰজাৰ ওচৰলৈ গ'ল। ৰজাক সি গোচৰ দি কলেগৈ—'মহাৰাজ, মন্ত্ৰী ডাঙৰীয়াই মোক এহেজাৰ টকা দিব লাগে। তেওঁ এইমাত্ৰ এহেজাৰ টকা দিম বুলি পোহাৰীৰ আগতে স্বীকাৰ কৰিছে, লোৰক লাগিলে।' মন্ত্ৰীক সোধাত মন্ত্ৰী বিমোৰত পৰিল আৰু নিজৰ কথা ৰাখিবলৈ এহেজাৰ টকা দি তাক বিদায় দিলে।

এহেজাৰ টকাৰ মোনাটো লৈ সি বাটেদি গৈ আছিল। মন্ত্ৰীৰ ঘৰৰ ওচৰ পাই সি বাটে বাটে চিয়ঁৰি কৈ যাবলৈ ধৰিলে—'মোক যি জনকৈ এসাজ ভাত খুৱাব তাকেই মই হেজাৰ টকা দিম।' তাৰ কথা শুনি মন্ত্ৰীৰ জীয়েকে ভাবিলে—কি নো বেয়া কথা! এসাজ খুৱালেই হব। তেওঁ তেতিয়া তাক মতাই নি খুৱাবলৈ পাত ললে।

সি কলে 'এহেজাৰ টকা দিম যেতিয়া, খোৱাৰ আগে তুমি মোক ৰৰপীৰা পাৰি যতাই-পিটাই গা ধুৱাই দিব লাগিব আৰু খোৱাৰ অন্তত তামোল-ছালিও দিব লাগিব। খোৱাৰ সময়ত বিচিবও লাগিব।' মন্ত্ৰীৰ জীয়েকে আগে টকাখিনি হাতত লৈ এই সকলোবোৰ কাম কৰি দিলে।

খাই-বৈ বিশ্ৰাম লৈ উঠি সি ৰজাৰ চ'ৰালৈ গৈ ৰজা আৰু মন্ত্ৰী দুয়োৰে আগতে গোচৰ দিলে—'মহাৰাজ, যি তিৰোতাই মতাক গা ধুৱাই দিয়ে, কাপোৰ-কানি যতাই-পিটাই দিয়ে, খাবৰ সময়ত বিচি থাকে আৰু খোৱাৰ পিছত তামোল-ছালিৰে আলপৈচান ধৰে তেওঁ ধৰ্ম্মমতে তাৰ বাৰু কি হয়?'

মন্ত্ৰীয়ে পোনেই কলে—'ঘৈণীয়েক'।

—'তেন্তে মহাৰাজ, মন্ত্ৰীৰ জীয়েকৰ লগত মোৰ ধৰ্ম্মমতে সেই সম্বন্ধ ঘটিছে। আপোনালোকে দয়া কৰি বিয়াখন পাতি দিব লাগে।' এই বুলি সি সকলো কথা বিবৰি কলে।

ৰজা আৰু মন্ত্ৰীয়ে নিজ নিজ কথা ৰাখিবলৈ মন্ত্ৰীৰ জীয়েকৰ লগত তাৰ বিয়াখন পাতি দিলে। সিও মহাসুখে তাত খাই-বৈ থাকিল।

যাৱৎ চন্দ্ৰাৱলী তাৱৎ কুঠীয়া

এখন দেশত এজন ৰজা আছিল। ৰজা আছিল বৰ ক্ষমতাশালী। তেওঁৰ মাথৈ আছিল তিনিগৰাকী। কিন্তু কি কপালৰ ফেৰ—কোনো গৰাকীৰে সন্তি-সন্ততি নাছিল। তাতে ৰজা আৰু ৰাণীসকলৰ মনত সদায় বিৰষ বেজাৰ।

এদিন এক দৈৱজ্ঞই গণনা কৰি ৰজাক কলেহি—'মহাৰাজ, আপুনি চিন্তা নকৰিব। আপোনাৰ এজনী পৰম ৰূপৱতী কন্যা উপজিব। আপোনাৰ সকু গৰাকী ৰাণীয়ে হব সেই কন্যাৰ মাক। তাৰ কাৰণে আপুনি কিন্তু যাগ-যজ্ঞ কিছু কৰিব লাগিব।'

ৰজাই যাগ-যজ্ঞাদি অনেক ধৰ্ম্ম কাম কৰিলে। কিছু দিনৰ পিছত সঁচাসঁচিকৈয়ে সুমল'য়া ৰাণীৰ গৰ্ভ লক্ষণে দেখা দিলে আৰু যথা সময়ত তেওঁ এজনী ধুনীয়া কন্যা প্ৰসৱ কৰিলে।

দৈৱজ্ঞই পুনৰ গণনা কৰি কলে— মহাৰাজ, ৰাজকন্যাৰ ভাগ্য বৰ ভাল। তেওঁৰপৰা আপুনি সকলো সুখ পাব, মাত্ৰ তেওঁৰ বিয়াখনতহে কিবা এফেৰি কেণা লাগিব। কেনে হৰণে নো কেণা লাগিব ৰজাই তুনাই সুধিলে। দৈৱজ্ঞই গণি-পঢ়ি চাই কলে—'দৰাটো আপোনাৰ মনোমত নহব; সি হয়তো টোকোনা বিধৰ হব।' ৰজাই তাকে শুনি হাঁহিলে আৰু কলে 'বাৰু, সেইটোলৈ মই ভয় কৰা নাই।'

ৰাজকুমাৰীৰ নাম ৰখা হ'ল চন্দ্ৰাৱলী। চন্দ্ৰাৱলী নে ঠিক চন্দ্ৰাৱলীয়ে। মুখখন আছিল ঠিক পূৰ্ণিমাৰ জোনটোৰ দৰে- উজ্জল আৰু হাঁহো হাঁহো। দুখীয়া দৰিদ্ৰ মানুহ যাতে চন্দ্ৰাৱলীয়ে ৰবকৈ দেখিবলৈ নাপায় তাৰ বাবে ৰজাই যত্ন ললে। নানা দেশৰ ৰাজকুমাৰ আৰু ৰাজকন্যা সকলৰ লগতেই তেওঁ সদায় খেল-ধেমালি কৰি কাল কটাইছিল।

বয়স হ'লত ৰাজকুমাৰীৰ স্বয়ম্বৰ পতা হ'ল। এবাৰ নহয় দুবাৰো স্বয়ম্বৰ সভা পতা হ'ল, কিন্তু ৰাজকুমাৰীয়ে স্বয়ম্বৰলৈ অহা কোনো ৰাজকুমাৰকে পছন্দ নকৰিলে। তৃতীয় বাৰ আকৌ স্বয়ম্বৰ সভা পতা হ'ল। আগতে যিসকল ৰাজকুমাৰে চন্দ্ৰাৱলীৰ স্বয়ম্বৰ সভাত শেনটোৰ দৰে আহি ফেচাটো যোৱাদি যাব লগীয়া হৈ লাজ পাই আছিল তেওঁলোকে এইবাৰ এটা ফন্দি পাতিলে। আলিৰ কাষত বহি থকা কুঠীয়া কেলেহুৱা ডেকা ভিখাৰী এটাক ধৰি আনি ৰাজকোঁৱৰ সজোৱাৰদৰে সজালে। তাৰ পাছত তাক স্বয়ম্বৰ সভালৈ লৈ গ'ল। তাক দেখি, কি আচৰিত কথা চন্দ্ৰাৱলীৰ মনত ভাল লাগিল। ৰজাই সেই কথা বুজিব পাৰি তাক গোলকতে এটা কোঠালীলৈ নি কণ্ব ৰাজকোঁৱৰ, কি কথা সুধিলে। সিও গোলে গোলে সঁচা কথাটো কৈ দিয়াত চন্দ্ৰাৱলী আৰু ৰজা দুয়োজো বুৰ

খং উঠিল। তেতিয়া ৰজাৰ আদেশত তাক অথবা-পথবাকৈ মাৰপিট কৰা হ'ল। মাৰত কুঠীয়াৰ যুৱ ফাটি গ'ল। সি কোনোমতে পলাই প্ৰাণটো বচালে। ৰাজকুমাৰীয়ে এবছৰ মানৰ কাৰণে বিয়াৰ আশা এৰি দিলে।

তাৰ পাছত বুঢ়ামন্ত্ৰীয়ে ৰজাক মন্ত্ৰণা দি কলে—'মহাৰাজ, এইবাৰ স্বয়ম্বৰ পাতিব নালাগে। গণকেও ৰাজকুমাৰীৰ বিয়াত কেণা লাগিব বুলি কৈছিল। গতিকে কেণা লাগিব নোৱাৰাকৈ এদিনৰ বাট দূৰত থকা ৰত্নপুৰ ৰাজ্যৰ ৰজাৰ কোঁৱৰলৈ তেওঁক বিয়া দিয়া যাওক। ৰাজকোঁৱৰক মই নিজে দেখিছোঁ। তেওঁ ৰূপে-গুণে চন্দ্ৰাৱলা আইটিৰ যোগ্য দৰা হ'ব।' ৰজা মান্তি হ'ল। ৰাণীসকলেও সম্মতি দিলে। ৰাজকুঁৱৰী চন্দ্ৰাৱলীয়েও আপত্তি নকৰিলে।

বিয়াৰ আয়োজন চলিল। দিন ঠিক হ'ল। ইফালে আগতে নিৰাশ হৈ থকা ৰাজকোঁৱৰসকলে লগ হৈ কোঁৱামেলা কৰিলে—বোলে 'আমাৰ কাৰণেহে কুঠীয়াই ইমান মাৰকিল খালে। গতিকে আমি যি প্ৰকাৰেই হওক, ৰাজকুমাৰী চন্দ্ৰাৱলীৰ বিয়াৰ দিনাই সেই ৰাজ্যতে কোনোবা এজনী দুখীয়া ছোৱালীৰ লগত তাৰ বিয়াখন পাতি দিমেই দিম।' সকলোৱে বিচাৰি-খোচাৰি ছোৱালীও সেইমতে উলিয়ালে। বিয়াৰ আয়োজন দুয়োফালে চলিল।

বিয়াৰ দিনৰ কথা। ৰাজকুমাৰহঁতে কুঠীয়াকো এজন ৰাজকুমাৰৰ দৰেই সজালে আৰু সন্ধিয়া তাক তেওঁলোকৰ মাজত লৈ কন্যাৰ ঘৰলৈ যাত্ৰা আৰম্ভ কৰিলে। কুঠীয়া দৰাক ৰাজকোঁৱৰ নিয়াৰ দৰে ফেটীচৈ মৰা দোলাত নিয়া হ'ল।

ইফালে সেই একে দিনাই ৰত্নপুৰৰ ৰাজকোঁৱৰো চন্দ্ৰাৱলীক বিয়া কৰা-বলৈ হাতী-ঘোঁৰা লৈ দলদোপ হেন্দোলদোপ কৰি আহিল। তেৱোঁ আহিছিল আঁৰ-কাপোৰেৰে ঢকা ফেটীচৈ মৰা দোলাত।

ৰাতিটো আছিল এন্ধাৰ। দুয়োঘৰ বিয়া-ঘৰীয়া আহি ওচৰা-উচৰি হওঁতে প্ৰবল ধুমুহা আৰু শিল বৰষুণ আহিল। দুয়োঘৰ বিয়াঘৰীয়া আশ্ৰয় বিচাৰি লৰি-ঢাপৰি এটা নামঘৰত সোমাল। বতাহ-বৰষুণৰ কোব ক্ৰমে চৰিবলৈহে ধৰিলে। এনেকৈ প্ৰায় এপৰমান ৰাতি থাকোঁতে বতাহ-বৰষুণ কিছু থামিল। দুয়ো দলৰ মানুহবোৰে নিজ নিজ বিয়াঘৰলৈ যাবলৈ লৰা-

লৰিকৈ বাট ললে। দৰা ছুটায়ো গৈ আকৌ লৰালৰিকৈ আঁৰ-কাপোৰ দি ঢাকি থোৱা দোলাত উঠি যাবলৈ ধৰিলে।

দৈৱাৎ লৰালৰিকৈ দোলাত উঠোঁতে দুয়োজন দৰাৰ দোলাৰ অদল-বদল হ'ল। কাৰ দোলাত কোন উঠিল এজনেও নাচালে। সময় ইফালে তাকৰ। বিয়াৰ লগ্ন পাৰ হবৰ হ'ল। সেই দেখি দৰাক দোলাৰপৰা নি লৰালৰিকৈ হোমৰ কাষত বহুৱাই বিয়া পতা হ'ল। বিয়াও লৰালৰিকৈ সাং হ'ল।

বাহী বিয়াৰ দিনা ৰাতিপুৱা কন্যাৰ ঘৰত দৰা-কন্যা দুয়ো দুয়োৰো মুখ চোৱা সেই দেশৰ দস্তুৰ আছিল। চন্দ্ৰাৱলীয়েও দৰাৰ চৰণত সেৱা কৰি দৰাক নিজৰ কোঠালীলৈ নি মুখ দৰ্শন কৰিবলৈ ওলাল। দৰাৰ মুখৰ ফালে চাই তেওঁ দেখে যে দৰা দেখোন ৰাজকুমাৰ নহয়—আগৰ সেই মাৰখোৱা কুঠীয়াহে। মুখত মাৰখোৱা চিনবোৰ এতিয়াও আছে। ৰাজকুমাৰীৰ মূৰত আকাশী চৰগ ভাগি পৰিল। তেওঁৰ চকুৰেদি চকুলো বাগৰি গ'ল। অলপ সময়ৰ ভিতৰতে এই ঘটনা ৰাজ্যত বিয়পি পৰিল। ৰজা-ৰাণী সকলোৱে ভাগ্যৰ ওপৰতে সকলো দোষ দি সান্ত্বনা লভিবলৈ যত্ন কৰিলে।

সিকালৰ বস্তুপুৰৰ ৰাজকুমাৰৰ বিয়াও দুখীয়াৰ ঘৰৰ কন্যাৰ লগত হৈ গ'ল। ৰাজকুমাৰী চন্দ্ৰাৱলীৰ এনে দৈৱ-দুৰ্বিপাকৰ কাহিনীটো মানুহে আজিও কয়—

"যাৱৎ চন্দ্ৰাৱলী, তাৱৎ কুঠীয়া ;
বিধাতাৰ লিখন নাযায় চাৰিয়া।"

উপকাৰীক অজগৰে খায়......

এটা বুঢ়া অজগৰ সাপে এদিন পৰ্ব্বতৰ দাঁতিত হৰিণ-পোৱালী এটা গোটে গোটে গিলি গেৰেলা লাগি কোনোমতে চুঁচৰি যাওঁতে বাটৰ দাঁতিৰ কেঁচা নাদ এটাত পিচলি পৰিল। বহুত চেষ্টা কৰিও সি নাদৰপৰা উঠিব নোৱাৰিলে। তাতে সি সেইদৰে কেইবাদিনো পৰি থাকিল।

এদিন এটা বাটৰুৱা সেই বাটেদি যাওঁতে। পানীত খলখলাই উঠিবলৈ দোপ দি থকা প্ৰকাণ্ড অজগৰটো তাৰ চকুত পৰিল। অজগৰে নাদৰ ভিতৰৰপৰা কাকুতিভাৱে মাত লগালে 'ভাই বাটৰুৱা, মোক তুমি পাৰলৈ তুলি নিয়া। মই তোমাৰ নিকিনা গোলাম হম, যি কোৱা তাকে কৰিম। তোমাৰ ধৰ্ম্ম হব।'

বাটৰুৱাই কলে—'তুমি স্বভাৱতে হিংস্রক জীৱ। তুমি নো মোৰ কি উপকাৰভাল কৰিবা? নালাগে মোক উপকাৰ কৰি দিব। তুমি তাতে থকাই ভাল।'

অজগৰে কলে—'বান্ধৈ, সামান্য প্ৰাণীৰপৰাও কেতিয়াবা ডাঙৰ উপকাৰ হয়। নাজানানে পশুৰাজ সিংহক জালত বন্দী হোৱাত নিগনিয়েই জাল কুটি মোকোলাই দিছিল? সেইদৰে সময়ত ময়ো তোমাৰ উপকাৰ কৰিম। নহলেও ধৰ্ম্ম নো ক'লৈ যাব?'

'বাটৰুৱাৰ মন কুমলিল। সি হাবিৰপৰা লতা ভুডালমান বিচাৰি আনি অজগৰৰ ডিঙিত লগালে আৰু কোনো মতে তাক টানি পাৰলৈ তুলিলে।

পাৰ পাই অজগৰে কলে—'তুমি মোৰ জীউটো ৰখালা। তুমি মোৰ আই-বোপাইৰ দৰে হলা। পিছে, মই এতিয়া ভোকত মৰোঁ। মোক তুমি পেট ভৰাই কিবা এটা খাবলৈ দিয়া—নহলে মই তোমাক এৰি নিদিম।'—এই বুলি সি বাটৰুৱাক বাট আগচি ধৰিলে।

বাটৰুৱা মহা বিপদত পৰিল। অজগৰে তেতিয়া খাটাং কৰি কৈ দিলে—'বন্ধু মই এতিয়া তোমাক খাম। আজি হয় তুমি, নহয় মই অবিকৃত লাগিব। দুয়ো বাচি থাকিব নোৱাৰোঁ।'—এই বুলি সি লগতে জিভা উলিয়াই বাটৰুৱাক গিলিবলৈ আটি-মুটি কৰি কৰিলে।

বাটকৰাৰ চুলিৰ আগেদি জীউ গ'ল। সি তথাপি মৰণত শৰণ দি কলে—'বন্ধু, মোক তুমি খাব খুজিছা খোৱা, কিন্তু বুঢ়া লোকে কয়—যদিও হয় মুনিজন, তেও সোধে তিনিজন।—গতিকে তুমিও এই কাম কৰাৰ আগতে তিনিজনক সুধি লোৱা উচিত হব। তিনিও যদি ঠিক একে কথাকে কয় আৰু খাবলৈ দিয়ে, তেন্তে তুমি মোক খাবা। নহয় জানো?'

অজগৰো তাতে মান্তি হ'ল। দুয়ো সাক্ষী বিচাৰি ওলাল। অলপ দূৰ গৈয়ে দুয়ো বাটৰ কাষত এটা ভগা জাপি পৰি থকা দেখি সুধিলে—'হেৰ' ভগা জাপি, তয়ে বাৰু কচোন—উপকাৰীক অজগৰে খায় নে নাখায়?' জাপিয়ে কলে—'খায়। খাব পায়। মোৰ কথাটোকে নোচোৱা কিয়? মই ভালে থকা দিনত মোক সকলোৱে মূৰৰ ওপৰতহে তুলি লৈছিল। আজি বুঢ়া হোৱাত মোক এইদৰে পথাৰৰ মাজত পেলাই থৈছে; কোনেও মোৰ ফালে উভতি নাচায়। আজিৰ জগৎখন এনেকুৱাই। গতিকে উপকাৰীক অজগৰে খায়।'

অজগৰে তেতিয়া কলে—'বাচৈ, এতিয়া পিছে?'

বাটকৰাই কলে—'ৰবা, তিনিটা সাক্ষীৰ এটাহে গ'ল।'

দুয়ো আকৌ যাবলৈ ধৰিলে। অলপ দূৰ গৈয়ে ইবাৰ দুয়ো এজোপা প্ৰকাণ্ড আহঁতগছ পালে। তাৰে ছাঁত দুয়ো অলপ পৰ জিৰালে। তাৰ পিছত দুয়ো আহঁতক সুধিলে—'আহঁতে, বাৰু উপকাৰীক অজগৰে খায় নে নাখায়?'

আহত গছে কলে—'নাখাব নো কিয়? খায়। মোলৈ চালেই হ'ল যেখোন। মই মানুহ-গৰু সকলোকে ছাঁ দি খৰি-কাঠ যোগাই সহায় কৰোঁ। এনেস্থলতো মোৰ গাত জীয়াই থাকোঁতেই মানুহে কেনেকৈ চাৰিওফালে দা-কুঠাৰ আদিৰে ঘপিয়াইছে চোৱাচোন! বোপাইহঁত, আজিৰ যুগত উপকাৰীক অজগৰে খায়, তাত সন্দেহ নাই।'

কথা শুনি অজগৰে বাটকৰাক কলে—'পিছে বন্ধু?'

বাটকৰাই কলে—'তিনি বাবেহে দিবাৰ। এতিয়াও আৰু এটা সাক্ষী বাকী!'

দুয়ো আকৌ যাবলৈ ধৰিলে। এইবাৰ দুয়ো এটা শিয়াল লগ পালে। দুয়ো শিয়ালক সুধিলে—তুমি ঠিক কথা কবাচোন বাৰু, উপকাৰীক অজগৰে খায় নে নাখায়?'

শিয়ালে কলে—'ৰবা, তোমালোকে এনে আলু-তালু নথকা বেবেৰিবাং কথা কলে মই একো উত্তৰ দিব নোৱাৰোঁ। ঘটনাটো কি মোক ভালকৈ কোৱা।' তেতিয়া বাটৰুৱাই আদ্যোপান্ত সকলো কথা কলে। শিয়ালে কথাটো তৎক্ষণাৎ বুজিলে। সি কলে—'তুমি নো ইমান ডাঙৰ অজগৰটোক কেনেকৈ তুলিছিলা? মোৰ কিন্তু বিশ্বাসেই হোৱা নাই। আকৌ কি ঘটনাটো হৈছিল মোক দেখুৱাচোন!'

অজগৰে তেতিয়া গৈ নাদত পৰি দেখৰালে আৰু বাটৰুৱাক কলে—'বন্ধু, শীঘ্ৰে মোক তোলা।'

শিয়ালে তেতিয়া কলে 'মূৰ্খ বাটৰুৱা, আজিলৈ বাচিলি। সোনকালে প্ৰাণ লৈ পলা। মনত ৰাখিবি কিন্তু -

'উপকাৰীক অজগৰে খায়
তাৰ সাক্ষী দিওঁতা নাই।'

তেলীয়াসাৰেঙৰ সাজন-কাচনতে গ'ল···

ম'ৰা, চিলনী, টুনি, বুলবুলি, চাকৈচকোৱা, বগলী, মইনা, শালিকা, ভাটৌ, ঘনচিৰিকা, কপৌ, পানীকাউৰী, ডাউক, কণামুচৰী, ৰাজহাঁহ, টিয়া মাছৰোকা, দহিকতৰা আদি চৰাইবোৰে মিলি এদিন আলচ কৰিলে যে সিহঁতৰ ভিতৰত এটা ৰজা হব লাগে। ৰজা নথকাৰ কাৰণে কাৰো লগত কাৰো মিল নাই, কোনেও কাৰো কথা নুশুনে। শেষত ৰজা-শগুনৰ প্ৰস্তাৱ আৰু পানীকাউৰীৰ সমৰ্থনত সৰ্ব্বসম্মতিক্ৰমে স্থিৰ হ'ল যে তেলীয়া-সাৰেঙকে ৰজা পতা হব। কিবা কাৰণত তেলীয়াসাৰেং আকৌ সেইদিনা সভাত উপস্থিত নাছিল। গতিকে ডাউকক বাতৰিটো তেলীয়াসাৰেঙৰ ওচৰলৈ নিবলৈ ভাৰ দিয়া হ'ল।

ডাউক যাবৰ ওলালেই। এনে সময়তে বগলীয়ে পুথি-পাঁজি মেলি গণনা কৰি চাই কলে যে পিছদিনাখনেই দিনবাৰ, তিথি-নক্ষত্ৰ আদি ভাল

আছে। সেইবাবে পিছদিনা কৈঁৰা ডুপৰীয়াতে তেলীয়াসাবেঙ ৰজা হব লাগে। তেলীয়াসাবেঙে কিন্তু ৰাজপাটত উঠাৰ আগতে সবাবে সাক্ষাতত তপত-তেলত গা ধুই সংসাৰৰ পাপ-তাপবোৰ গুচাই শুধ হৈ লব লাগিব।

সেই মতেই কাম হ'ল। বাইজৰ কটকী হৈ ডাউক তেলীয়াসাবেঙৰ ওচৰলৈ গ'ল। কাউৰীক ৰজা হোৱাৰ এই শুভবাৰ্ত্তা প্ৰচাৰ কৰিবলৈ দিয়া হ'ল। বাতিপুৱালতে সেইমতে কাউৰীয়ে কা-কা কৰি চাৰিওফালে তেলীয়া সাবেং ৰজা হোৱাৰ বাতৰি জনাই দিলে। ডাউকেও গৈ তেলীয়াসাবেঙক বাতৰিটি দি ৰজা হবলৈ সন্মতি বিচাৰি কোৱা-কোৱাকৈ থিয় হৈ ৰ'ল।

তেলীয়াসাবেং সন্মত হ'ল আৰু ঘৈণীয়েকৰ লগত আলাপ-আলোচনা কৰি ৰজা হবৰ কাৰণে গাত তেল-চন্দন ঘঁহি, নখ, ঠেং চিকুনাই সাজন-কাচন কৰাত লাগি গ'ল। সাজন-কাচন এনেভাৱে চলিল যে বেলি লহি-ওৱালৈকে তেলীয়াসাবেং সাজি-কাচি ঘৰৰ পৰাই ওলাব নোৱাৰিলে।

ইফালে অন্য চৰাইবোৰে তপত-তেলৰ টৌ সাজু কৰি ৰাখি তেলীয়া-সাবেঙৰ আগমনৰ কাৰণে বাতিপুৱাৰেপৰা বাট চাই থাকিল। কৈঁৰা-ডুপৰ হৈ গ'ল, তথাপি তেলীয়াসাবেঙৰ দেখাদেখি নাই। চৰাইবোৰ অতিষ্ঠ হৈ পৰিল। বগলীয়ে খেন গণি কলে যে আৰু এখনমান তামোল খোৱাৰ সময় মাত্ৰ আছে। তাৰ পিছত বেয়া খেন আহিব, ৰাজপাটত উঠাৰ কাৰণে সময় নাথাকে। সকলোৱে উচ্‌পিচাবলৈ ধৰিলে।

ৰাজহাঁহে কলে—'বগলীকে ৰজা পতা যাওক।'

ভাটৌৱে উত্তৰ দিলে—'মানুহে বগলীৰ কথা কি কয় জানানে? কয়—

'বগলীয়ে যত পায়, মাছ তত্তালিকে খায়
নাপালেই থাকে শুদা পেটে;
যত পায় তত খায় অলপো সঞ্চিত নাই
দৰিদ্ৰ লক্ষণ বোলে তাকে।'

—গতিকে তেওঁ ৰজা হলে ঠিক নহব।

শালিকাই তেতিয়া কলে—'তেনেহলে কাউৰীকে ৰজা পতা যাওক। তেওঁ হলে সাঁচি-ৰাখি খোৱাত বেয়া নহয়।'

চিলনীয়ে তৎক্ষণাত কৈ উঠিল—'নহয় নহয়। কাউৰী বৰ চেলচেলীয়া। পেটত কথা ৰাখিব নোৱাৰে। চাতাকি থাকিলে কি হব? ৰজাৰ প্ৰকৃতি

গহীন হব লাগে। কাউৰী যদি ৰজা হব পাৰে; মইনো কিয় নোৱাৰিম?

এনে সময়তে লক্ষ্মীৰ বাহন ফেচাই উৰুলি দি সকলোকে নিমাত কৰি লৈ কবলৈ ধৰিলে—'কম কথাত মোক জগতৰ আই লক্ষ্মীয়ে বাহন কৰি লোৱা নাই। মই ভূত-ভৱিষ্যৎ জানো। আপোনালোকে মোক ৰজা হবৰ যোগ্য বুলি বিবেচনা নকৰে; সেইটো জানো। মই ৰজা নহওঁ। মোৰ সখি ফেচুকে ৰজা পাতক। তেওঁ বগী আৰু সাহসী; ৰজা হবৰ যোগ্য!' ফেচাৰ কথাত সকলোৱে সন্মতি প্ৰকাশ কৰিলে। ফেচাই নিজেই উৰুলি লগাই দিলে। সকলোবোৰ চৰায়ে সেই উৰুলিত যোগদান দিলে।

ফেচুই তেতিয়া চকুৰ পচাৰতে চুকৰ তপত-তেলত জোবোৰা এটা মাৰি আহি পাখি কোটালি লৈ সিংহাসনত বহিল। আনন্দৰ কোলাহলৰ মাজত ফেচু এইদৰে ৰজা হ'ল। বুঢ়া লোকে আজিও কয় যে ফেচুৰ বৰণ আগতে বগা আছিল, ৰজা হবলৈ গৈ তপত তেলত জোবোৰা মৰাৰ পিছৰপৰাহে ক'লা হ'ল।

ফেচু ৰজা হৈ যোৱাৰ কিছুপৰ পিছত তেলীয়াসাবেং সাজন-কাচন কৰি ওলালহি। ওলালে পিছে কি হব? কোনে তাক এতিয়া ৰজা পাতিব? ঠোঁট-মুখ চেলেকি সি সেইদৰেই উভতি গ'ল।

তাকে আজিও বুঢ়া লোকে কয়—

'তেলীয়াসাবেঙৰ সাজন-কাচনতে গ'ল
ইফালে ফাকতে ফেচু ৰজা হ'ল।'

—×—

বামুণৰ গৰখীয়া

এক বামুণৰ এটা গৰখীয়া আছিল। সি আছিল কোনো এক বিধৱাৰ একমাত্ৰ ল'ৰা। অ'ত ঠেকা খাই, ত'ত ঠেকা খাই সি হৈ পৰিছিল সাত ঘাটৰ চেঙেলী। কথাতে কয় যেনে 'সাত ঘাটৰ চেঙেলী বাৰ ঘাটৰ বটীয়া; তাৰ সমান নাই ঘটীয়া।' সিও আছিল তেনে।

এদিন বামুণে ৰাতি খাই বৈ উঠি তাৰ আগত মহাভাৰতৰ সাধু কৈছিল। তাতে সি সুধিলে 'দেউ, ইমান ডাঙৰ মহাভাৰতখন নে' কে'নে কেনেকৈ লেখিছিল? আপুনি জানে নে? জানে যদি মোক কওকচোন।'

বামুণে হাঁহি কলে—'হেৰ' মই নাজানিলে জানিব কোনে হো? বাৰু শুন। মহাভাৰতখন ব্যাসদেৱ বুলি মোৰ দৰে এজন বামুণে লেখিছিল। লেখিছিল ম'নে তেওঁ নিজে লেখা নাছিল, মুখে মুখে কৈহে গৈছিল—গণেশেহে লেখিছিল। ব্যাসদেৱ তেতিয়া বৰ বুঢ়া হৈছিল। লেখিবলৈ কলম ললে তেওঁৰ হাত কঁপিছিল। সেইবাবে তেওঁ ডেকা দেৱতা গণেশক ধৰিমেলি আনি লেখা কামত লগাইছিল।'

গঁৱৰীয়াই সুধিলে—'দৰমহা কিমান দিছিল?'

- দৰমহাৰ কথা সুধিয়াৰি বহ। তেতিয়া কাম কৰিলে কে নেও কাৰোপৰা দৰমহা নলৈছিল। তথাপি যদি তই মানিব নোখোজ তেন্তে ধৰ, গণেশে ভাতকাপুৰীয়া হিচাপেহ মহাভাৰত লেখা কামত সোমাইছিল। পিছে লেখাৰ সময়ত তেওঁ ব্যাসৰ লগত এটা বন্দবস্ত কৰি লৈছিল। সেই মতে গণেশে কৈছিল—'মই লেখি যাম সঁচা কিন্তু মোৰ কলম চলিলে সি আৰু নৰয়। আপুনি বুঢ়া মানুহ। ভাবি ভাবি দিনত দুটা-এটা শ্লোক কলে নহব, একেবাৰেহে অনর্গল কৈ যাব লাগিব। তাকে নকৰিলে মোৰ কলম এবাৰ বৰলৈ হলে মই লেখা কাম এৰি দিম।'

ব্যাসদেৱো কম নহয়। তেওঁ কলে—'বাৰু হব; কিন্তু এটা কথা, তুমি মোৰ শ্লোকৰ অর্থ নুবুজাকৈ মধে-মধে সাপে-বেঙে লিখি গলে নহব, মোৰ শ্লোকবোৰ বুজিহে লিখিব লাগিব।' গণেশো মান্তি হ'ল।

কাম আৰম্ভ হ'ল। বুঢ়াৰ মুখৰ শ্লোক শেষ হোৱাৰ লগে লগে গণেশে লিখি পেলায়। ঋষিক তেওঁ ভাবিবলৈকে সময় নিদিয়ে। ঋষিয়ে তেতিয়া এটা বুধি উলিয়ালে। মাজে মাজে জেঁাটলগা শ্লোক দুই-একোটা দি গণেশক ভাবিবলগীয়া কৰে। গণেশে অর্থ ঠিক কৰি বুজি লেখিবলৈ ধৰে মানে বুঢ়া ঋষিয়ে আৰু তিনি চাৰিটা শ্লোক মুখে মুখে ৰচনা কৰে। এইদৰে কাম চলিবলৈ ধৰিলে। এই জেঁাটলগা শ্লোকবোৰক মহাভাৰতৰ শ্লোক-কূট বোলে।'

গঁৱৰীয়াই কলে—'আমাৰ কথাত বাৰু এবেৰুৱা কূট এটা কওকচোন।'

বামুণে কলে—'ধৰ বাৰু, আমাৰ যেনে—

পানীৰ তলত আছোঁ কেকোৱা সোণা ;
ক'লৈ যাব তই গিৰিহঁত কণা ?
ধাৰে-উধাৰে খাই থাক তই ;
একে মৰাণতে শুজি দিম মই !

—তাৰ মানে বানপানীত খলা-বমা একাকাৰ হৈ পৰাত কোনো এজন খেতিয়কৰ বাওধানৰ ওপৰত পানী উঠিল। গিৰিহঁতে তেতিয়া কলৰ ভুৰত উঠি দুখ মনেৰে খেতি চাই ফুৰা দেখি—পানীৰ তলত থকা কেকোৱা-বাওধানে পানীৰ তলৰপৰাই কৈছিল—'তুমি কণাৰ দৰে কি বিচাৰি ফুৰিছা ? মই ইয়াতে পানীৰ তলত আছোঁ। তুমি এতিয়া কোনোমতে ধাৰ-ঋণ কৰি খাই জীয়াই থাকা। মই দিনদিয়েকতে পানীৰ ওপৰত দেখা দিম আৰু ধান হলে তুমি আকৌ গা টঙাব পাৰিবা।'

গৰখীয়াটোৰ নাম আছিল ভোখন। ভোখনে তেতিয়া কলে—'দেউ মই তেনে ধৰণৰ বহুত গাঁঠি জানো দেখোন।

বামুণে কলে—'বাৰু তই তাৰে কেইটামান কেতিয়াবা মোক কৈ শুনাবিচোন।'

ভোখনে কলে—'কম, কিন্তু সেইবোৰ ভাঙি-পাতি মোক আপুনি বুজাই দিব নোৱাৰিলে ময়ো কিন্তু আপোনাৰ গৰু চাৰিবলৈ এৰিম।'

'বাৰু পিছত যি হয় হব, যা।' বুলি বামুণে ভোখনক বিদায় দিলে।

—×—

হয় চন্দ্ৰা, বাৰ আখি অগ্নিয়ে মেলিলে পাখি—

পিছদিনা বাতিপুৱা ভোখনে বামুণক কলে—'দেউ, মই আজি এটা গাঁঠি থকা কথা কম, আপুনি তাৰ ভাঙনি দিব লাগিব। তাকে কৰিলেহে মই গৰু চাৰিবলৈ যাম। বামুণে কলে—তেনে কথা হব নোৱাৰে। বাৰু কি কব খুজিছ আজি'ক। ভোখনে তেতিয়া কলে—

'ছয় চন্দা, বাৰ আখি,
অগ্নিয়ে মেলিয়ে পাখি;
ভোখনে বোলে ৰাম!
এই কথা কৈ দিয়ক দেউ
তেহে গৰু চাৰিবলৈ যাম।'

বামুণে কলে—'ইয়াৰ আৰু কি অৰ্থ ভাঙিবা? তেনেই সহজ কথা। কোনো এক ধাৰ্ম্মিক পণ্ডিত বামুণৰ ভোখন নামেৰে এটা খকুৱা গৰখীয়া আছিল।'

ভোখনে টপৰাই মাত লগাগে—'দেউ মই কিন্তু খকুৱা নহওঁ; মোক খকুৱা নুবুলিব।ঃ

'নহয় অ'। মই তোৰ কথা জানো কৈছোঁ? সাধুকথাটো শুন। সাধুকথাৰ ভোখনটোহে খকুৱা আছিল, তই নহয়। পিছত সেই ভোখনে এদিনাখন গৰু চাৰিবলৈ যোৱাৰ সময়ত পইতা ভাত খাবলৈ একো দিহ নাপাই পুখুৰীলৈ গৈ পানীৰপৰা ছয়টা চন্দা মাছকে ধৰি আনিলে। তাৰ পিছত সি ভালকৈ জুই একুৰা ধৰিবৰ কাৰণে বাৰটা বাঁহৰ গাঁঠি আনিলে। সেই শুকান বাঁহৰ আখি বাৰটাত জুই দপ্ দপ্ কৈ জ্বলি উঠিল। ভোখনে তাৰ ওপৰত মাছ ছয়টা তুলি দিলত জুয়ে চন্দামাছ ভস্মীভূত কৰিলে। তাকে দেখি ভোখন বিচুৰ্ত্তি হ'ল। জুইৰ মাজৰপৰা এটিও মাছ উলিয়াব নোৱাৰি ভোখনে ৰাম ৰাম কৰিবলৈ ধৰিলে। তাৰ আৰু পইতা ভাতৰ লগত পোৰামাছ খোৱাটো নহ'ল। বিহেৰে পালে তাৰেই কেই গৰাহ মান খাই গৰু ৰখিবলৈ গ'ল। এই গোটেই ঘটনাটো কোনোবা লোকে শ্লোক সাজি কলে—

'ছয় চন্দা বাৰ আখি
অগ্নিয়ে মেলিলে পাখি
ভোখনে বোলে ৰাম।
এই কথা কৈ দিয়া বামুণ
তেহে গৰু চাৰিবলৈ যাম।'

প্ৰথম প্ৰহৰত প্ৰভু ঢেঁকী অৱতাৰ.......

তৃতীয় দিনা ভোখনে আকৌ বামুণক কলে—'দেউ, মই বাক আপোনাক ভাঙিবলৈ নিদিওঁ, নিজেই ভাঙি কম। আজিৰ কথাটো হ'ল—

'প্ৰথম প্ৰহৰত প্ৰভু ঢেঁকী অৱতাৰ।
দ্বিতীয় প্ৰহৰত প্ৰভু ধনুৰ টঙ্কাৰ।
তৃতীয় প্ৰহৰত প্ৰভু কুজুৰি-মুৰ্জাৰ ;
চতুৰ্থ প্ৰহৰত প্ৰভু তেনেই থুপুৰি।'

তথাপি আপুনি যদি ইচ্ছা কৰে ভাঙনিটো কব পাৰে। মানুহে কয়—'বামুণৰ মুখে বেদ ; মোল্লাৰ মুখে ছেদ।'

বামুণে কলে, 'জানিলেও মই আজি নকওঁ। তয়ে বাক কচোন।' তেতিয়া ভোখনে কবলৈ ধৰিলে। 'আগৰ দিনত গুৰু-গোঁসাইসকল শিষ্যৰ ঘৰলৈ বছৰত অন্ততঃ একোবাৰ গৈছিল। গোঁসাই গৈ পালে শিষ্যসকলে তেওঁক গাঁৱৰ কিছু দূৰবেপৰা ভৰি ধুৱাই দোলাতকৈ নিয়াৰ ব্যৱস্থা কৰিছিল। তেওঁক তেনেকৈ ঢোল, তাল, শঙ্খ আদি বজাই আগ বঢ়াই নি কোনো এজন প্ৰধান শিষ্যৰ ঘৰত ৰাখি সকলোৱে পৰিচৰ্য্যা কৰিছিল। ৰাতি হলে প্ৰভুই ভয় খাব পাৰে বুলি ভাবি পাল পাতি তেওঁ থকা ঘৰত পহৰা দিছিল।

তেনে আয়মত থকা গোঁসাই এজন এদিন পুহমহীয়া দিনত লৈ শিষ্যৰ ঘৰত থাকিবলৈ লৈছিল। তেওঁৰ লগত কাপোৰ আছিল কম। শিষ্য-সকলে তেওঁক বাগ, কম্বল আদি দিয় খোজাত তেওঁ কলে—'নালাগে, নালাগে। কিবা গোঁসাইৰ তেজ নাইনে আমাৰ গাত? আমি জানো তেনেই সাধাৰণ মানুহ? কাপোৰ নহলেও হব। মই তোমালোকক দেখুৱাবৰ কাৰণেহে এখন কম্বল আনিছোঁ। শিও নহলে মোৰ চলে। আমি [illegible] কৰা মানুহ।'

তেওঁৰ শিষ্য-এজনে কলে—'প্ৰভু, আমি হলে [illegible] কম্বল, কানি-কাপোৰ আদি লৈও [illegible] থাকোঁ। প্ৰভুৰ [illegible] কথা [illegible]—[illegible] দেখা হলে নাই।'

গোঁসায়ে কলে, 'চাব খোজা নেকি!'

'হয়, যদি প্ৰভু ঈশ্বৰৰ কৃপা হয়, চাব পাৰোঁ—। শিষ্যই কলে। —'বাৰু দেখিবা তেন্তে। আজিয়ে দেখিবা। মই আজি এই ছফটীয়াখন পাত লৈয়ে নিশা কটাম। প্ৰথমে যি ধৰণে শুম, ৰাতিপুৱা উঠিবৰ সময়তো সেই একেটা ভঁাজতে মোক দেখিবাহঁক।'—বুলি গোঁসায়ে কলে।

কাৰ্য্যত সেয়ে হ'ল। গোঁসাই প্ৰভুই ৰাতি ঝিধা খাই উঠি শুলে। সেই টেঙৰ শিষ্যজনেই সেইদিনা প্ৰভুৰ ওচৰত পহৰা দিলে। তেওঁৰ নাম আছিল নাড়ীয়া।

পিছদিনা প্ৰভুই দুপৰীয়া খাই-বৈ উঠিলত গাঁৱৰ লোকসকলে তেওঁৰ-পৰা শাস্ত্ৰৰ কথা শুনিবৰ কাৰণে তেওঁক বেৰি ধৰিলেহি। প্ৰভুই ঈশ্বৰৰ মহিমাৰ কথা ক'লত এজন আদহীয়া লোকে কলে—'বৰ, কালি ৰাক আমাৰ প্ৰভু ঈশ্বৰে জাৰ পোৱা নাছিল নে? কালি মাজ নিশা বেখোন অলপ কিন্‌কিনীয়া বৰষুণো দিছিল। আমি হলে কানি-কঁথা লৈও কঁপি আছিলোহঁক।'

প্ৰভুই কলে—'নাই, নাই। কি জাৰ? সেই নাড়ীয়াই দেখিছে নহয়। তেওঁ ৰাতি ইয়াত পৰ দি আছিল নহয়। মই যোগ-নিদ্ৰাত থাকি জাৰৰ কথা গমকে পোৱা নাছিলোঁ—।'

নাড়ীয়াই কলে, 'মই প্ৰভু ঈশ্বৰৰ অৱতাৰবোৰ নিজ চকুৰে চাই আছিলোঁ। প্ৰভুৰ বৰ্ণনানো কি দিম?

'প্ৰথম প্ৰহৰত প্ৰভু আছিল ঢেঁকী অৱতাৰ;
দ্বিতীয় প্ৰহৰত প্ৰভু হৈছিল ধনুৰ টঙ্কাৰ।
তৃতীয় প্ৰহৰত প্ৰভু হৈছিল কুজুৰি-মুজুৰি;
চতুৰ্থ প্ৰহৰত প্ৰভু আছিল তেৰেই গুপুৰি।'—

পুৱা আগতে প্ৰভুই আকৌ ঢেঁকী অৱতাৰ পাইছিল।'

কথা শুনি সমজুৱাসকলে ইজনে সিজনৰ কাষে কাষে চালে। প্ৰভুৰ অৱতাৰবোৰক আজিও নানাজনে নানা ভাবে বৰ্ণন কৰে।

আৰিৰ মূৰা, চিতলৰ গদা……

কোনো এক গিৰিহঁতৰ দুজনী তিৰোতা আছিল। সৰুজনীক গিৰিয়েকে বেছি মৰম কৰে। ডাঙৰজনীয়ে গোসাঁই ঘৰত চাকি-বন্তি দিয়াৰেপৰা গোবৰ-মাটি পেলোৱালৈকে সকলো কাম কৰিব লাগে। সেইবোৰ কৰিও কিন্তু তেওঁ গিৰিয়েকক সুখ দিব নোৱাৰে। সৰুজনীয়ে হলে গিৰিয়েকক গাল লগাকৈ দু-আষাৰ কথা কৈ মুখৰ মাখিহে মাৰিয়ে কাল কটায়। মুঠতে সৰুজনী আছিল লাগী আৰু ডাঙৰজনী আছিল গিৰিয়েকৰ এলাগী ঘৈণী। কথাতে কয় বোলে—

'এলাগীয়ে ভাঙিলে কঁতৰা;
গৰগাঁও পালেগৈ বতৰা।
লাগীয়ে ভাঙিলে কাঁহী;
খলে মিচিকিয়াই হাঁহি।'

চালাকিতো সৰুজনী আছিল ডাঙৰজনীতকৈ একাঠী চৰা।

সৰুজনীৰ মাকৰ ফালৰ কোনো আলহী আহিলে মাছ-মঙহ, গাখীৰ-গুৰ-পিঠাৰ ধুম চলে। ডাঙৰজনীৰ মাক-বাপেকৰ ফালৰ কোনোবা আহিলে কলে—

'গৰগঞা মিঠিৰৰ ভাও;
মুখেৰে কৰে খাক খাক,
ভৰিৰে হেচুকে নাও।'

তাতে ডাঙৰজনীৰ মনত দুখ। তাই ভাবে—মৰে বাচো, মৰে বাচো, অথচ মোৰ নিজৰ মানুহকে মই ভালকৈ এমুঠি খুৱাব নোৱাৰো। হায়, 'যাৰ কাৰণে শাক-সেন্দুৰ; তাৰে পাতত তোকোৰা এলুৰ!' যাক মরো উচিত বুধি উলিয়াম। এইভাবি তাই লাগীৰ মাকৰ ঘৰৰ আলহী অহাৰ গম লৈ থাকি ঠিক সেই একে সময়তে নিজৰো মাকৰো ফালৰ কুটুম্ব মাতি পঠালে।

দুয়ো ফালৰ আলহী আহি পৌঁৱাত এলাগী আগ্ৰহৰে বাহৰী লোৱাৰ।

তাই গৈ লচপচকৈ আৰি, চিতল, বৌ, গাগল আদি মাছ কাটি নৈ নানা প্ৰকাৰৰ ব্যঞ্জন ৰান্ধিলে। লাগীয়ে ভাবিলে—আজি কি উপায়ে এলাগীৰ আলহীতকৈ মোৰ আলহীক ভালকৈ খুওৱা যায়! কিছুপৰ ভাবি ভাবি তাই এটা উপায় উলিয়ালে। তাই ৰান্ধনী-ঘৰৰ ভিতৰলৈ ঘনে ঘনে অহা যোৱা কৰি এলাগীয়ে শুনা শুনাকৈ কবলৈ ধৰিলে—

'আৰিৰ মূৰা চিতলৰ গদা
নিজ বাপ হলেও যেন নিদিয়া।'

এলাগীয়ে ভাবিলে, তেনেহলে চিতল মাছৰ মূৰ আৰু আৰি মাছৰ গদা খুব ভাল বস্তু হব লাগিব। আজি বাৰু মোৰ পিতাৰ পাতত সেইবোৰ দিওঁচোন—লাগীয়ে সেকাটো পাওক। তাই সেইমতে কাম কৰিলে। এদিন, দুদিন, তিনিদিন—। তিনিওদিনে খোৱাত এনে ধৰণৰ অসুবিধা পাই এলাগীৰ পিতাকে শীঘ্ৰে নিজ ঘৰলৈ খোজ ললে। নিজৰ জীয়েকৰ এনে ব্যৱহাৰৰ অৰ্থ তেওঁ হলে একো নুবুজিলে। লাগীয়ে বুজিবেই সদায় বণ জিকি থাকিল! তাকে আজিও কোৱা হয়—

'আৰিৰ মূৰা চিতলৰ গদা;
নিজ বাপ হলেও যেন নিদিয়া।'

—x—

....তিনি অতিথি লযোন পৰক

ওৱা ধানৰ লেকুতীয়া* বাৰা,
তিনি অতিথি আহি পালা
ছলিথান ঐ ছলিথান, বাপেৰক মাত,
বাপে আছি মাৰেক মাৰক,
তিনি অতিথি লযোন পৰক।

এইটো এটা দুখীয়া পৰিয়ালৰ কথা। পৰিয়ালটোত আছিল গিৰিয়েক ঘৈণীয়েক আৰু কেইটামান ল'ৰা-ছোৱালী। গিৰিয়েকে আ'ত ত'ত কাম-

* লেকুতীয়া—লেথানেপেথা, সহজে শেষ নোহোৱা।

কাজ কৰি ধান ছুই-এমোণ আনি দিয়ে। ঘৈণীয়েকে তাকেই ঢেঁকীত বানি, কাঢ়ি, চাউল উলিয়াই পেটেভাতে খায়। আলহী-অতিথি আহিবলৈ হলে মহা বিপদ।

এদিনাখন সন্ধিয়া ঘৈণীয়েকে ঢেঁকীত আধা-শুকোৱা ধানৰ বাবা জোৰোঁতেই একেলগে তিনিটা অতিথি ওলালহি। তেওঁ ভাবিলে—ল'ৰা ছোৱালী কেইটাবে সৈতে নিজে খাবলৈয়ে চাউল নাই, তাতে অতিথি ওলালহি। ভূতৰ ওপৰতে দানহ।—এই ভাবি তেওঁ ইঙ্গিততে ল'ৰা-ছোৱালীইঁতক কলে যে বাপেকক মাতি পঠিয়াব লাগে: তিনিটা অতিথি আহিছে। বাপেকে কথাটো বুজিব পাৰিব আৰু তেওঁ আহি ঘৈণীয়েকক (তেওঁক) কিবা এটা কচুৱ উলিয়াই ধৰকৈ মাৰিব। তাবে ফলত অতিথি কেইটাই ভাত নাখাওঁ বুলি শুই থাকিব। তেনেকৈ এটা বিপদৰপৰা হাত সৰা যাব।

কাৰ্য্যত যেয়ে হ'ল। গিৰিয়েকে আহি ঘৈণীয়েকক মিছায়ে সাত কিল মাৰিলে। ঘৈণীয়েকে কান্দোনৰ বোল তুলিলে আৰু তাকে দেখি আলহী-ইঁতেও ভাত-পানী নাখাওঁ বুলি শুই থাকিল। তেতিয়াৰে পৰা ওপৰৰ বচন ফাকি ওলাল—।

পূৰ্ব্বলগ্না ভৱিষ্যতি

এটা পুখুৰীত বহুত ঢোৱা সাপ, বগলী আৰু বেং ভেকুলী আছিল। ভেকুলীবোৰে সাপ আৰু বগলীক বৰ ভয় কৰে; কাৰণ, দুয়োৰে সি হ'ল আহাৰ। সেইদেখি সিহঁত সাপ আৰু বগলীবপৰা আঁতৰি ফুৰে।

বাৰিষা অলপ বৰষুণ হলেই ভেকুলীৰ অসংখ্য পোৱালি হয়। তাঁকে ফালুকী বোলে। ফালুকীৰ একোডাল নেজ থাকে। সেই নেজডাল জোকাৰি জোকাৰি সি পানী-জোকৰ দৰে পানীত লেউলে'ৱাই ফুৰে।

তাকে দেখি ডাঙৰ ভেকুলীবোৰে সিইঁতক তেনেকৈ ঘা-খেলাই ফুৰিবলৈ হাক দিয়ে। সিইঁতে কিন্তু ডাঙৰৰ কথা নুশুনে; তেতিয়া দেছিকৈহে তিঘিলঘিলাই ফুৰে।

তাকে দেখি বুঢ়া বেংভেকুলীবোৰে সিইঁতক গালি পাৰি চিঞৰি চিঞৰি কয়—'কটাৰ পোইঁত! দীঘল নেগুৰডাল পাই ভাবিছ তইঁত কিবা নতুন জীৱ হলি বুলি। সেইটো নহয়। আমাৰো সকতে তইঁতৰ দৰে নেগুৰ আছিল। সেইবোৰ ক্ৰমে নাইকিয়া হ'ল। তইঁতৰো সেয়ে হব। তইঁতো আমাৰ দৰে হবিগৈ। তইঁতৰ মাৰ লণ্ডা, বাপেৰ লণ্ডা, সাত পুৰুষ লণ্ডা হৈয়ে মৰি গৈছে। তইঁতেও দুদিনমানৰ বাবেহে নেগুৰ পাইছ। সেই নেগুৰো ক্ষয় হব।- আছিলোঁ যেনে, হৈছ তেনে; হৈছো যেনে, হবি তেনে।' লালুকীবোৰে কিন্তু তেনে কথালৈ কাণষাৰ নকৰিলে।

এই কাহিনীটো এটা শ্লোকত কোৱা হয় এইদৰে—

মাতা লণ্ডা, পিতা লণ্ডা;
তস্য পুত্ৰঃ সলাঙ্গুলম্।
ক্ৰমে ক্ৰমে ক্ষয়ং যাতি
পূৰ্ব্বালণ্ডা ভৱিষ্যতি ॥

আমাৰ বৌ দাদা......

দেৱৰ আৰু বৌৰ মাজত এটা সেয়া আৰু চেনেহৰ সম্বন্ধ সদায় বৈ আছিছে। তাহানিৰ বৌয়েক সীতা আৰু দেৱৰেক লক্ষ্মণৰ মাজত কেনে সম্বন্ধ আছিল সকলোৱে জানে। বৌয়েকৰ আদেশত সোণৰ হৰিণ বিচাৰি যাওঁতে সীতাক ৰাৱণে হৰি নিছিল।

তেনেকুৱা ৩জন দেৱৰেকে সদায় চৰাই চিকাৰ কৰি আনি বৌয়েকক দিয়ে। বৌয়েক আছিল অলপ লুভীয়া বিধৰ তিৰোতা। তেওঁ মঙহ খাবলৈ ভাল পাইছিল। দেৱৰেকে সদায় কোচা চৰাই মাৰি আনি

বৌয়েকক বান্ধিবলৈ দিয়ে। বৌয়েকে বেছি মঙহ থাকিলে অলপ কিছু দেৱেৰেকক দিয়ে, কম মঙহ থাকিলে নিজে সেইখিনি খাই আজাত মঙহ সিজি গলি গ'ল বুলি কয়।

এদিনাখন মঙহ খাবলৈ নাপাই দেৱেৰেকে একাকি বচন ৰচনা কৰি ঘনে ঘনে গাবলৈ ধৰিলে। বচন ফাকি হ'ল—

আমাৰ বৌ ৰাণী,
কোঢ়া বান্ধিব জ'নি;
লাউ আছে দঢ়িয়া ঘি,
কোঢ়া উঠিল পানী॥
কোঢ়া বান্ধিব জানি॥

সেইদিনাৰেপৰা বৌয়েক সাৱধান হ'ল।

সজ্জনৰ লগত সঙ্গতি হ'ল,
মধু কৰিলে॰ পান……

বহুত দিন আগৰ কথা। উজ্জয়িনী নগৰত ৰজা তেতিয়া বিক্রমাদিত্য। সেই সময়ত এবাৰ বাৰিষা এটা গুৰকৰাই নদীৰ পানীত উটি গৈ পাৰৰ ইকৰাত ধৰি কোনোমতে প্রাণটো বচাইছিল। সি নদীৰ পাৰত উঠি নিজৰ জাতি-ভাই গুৰকৰাবোৰক দেখি গহীন হৈ যাবলৈ ধৰিলে। তাকে দেখি আনবোৰ গুৰকৰাই তাক সুধিলে—'ভাণ্ডৰীয়া, আপোনাৰ খোজটো যেখোন বৰ গহীন! আপুনি আমাৰ জাতিৰে এজন নহয় জানো? ইমান গহীন হ'ল কেতিয়াৰপৰা? আমাবো আপোনাৰ দৰে হুদৰ বৰ মন গৈছে। আমাকো বুধি-ভৰসা নিদিব জানো?'

গুৰকৰাই কলে—'উপদেশভকৈ বোলে আহি ভাল। মোৰ উদাহৰণটো

॰ দঢ়িয়া ঘি—ঠৰুজা লাগি।

ললেই যেখোন হ'ল।'

'আপোনাৰ উদাহৰণটো নো কি?'—অন্তৰোৱে সুধিলে।

সি উত্তৰ দিলে—'তোমালোক মোৰ যুকুৰ কুটুম। তোমালোকক মই কাক নো কম? শুনা পিছে। এদিন এখন ফুলনিত সোমাই মটিৰ ওপৰতে ফুলি থকা ধুনীয়া ফুল এটা দেখি তাৰ ভিতৰখনত্ নো কি আছে তাকে চাবলৈ ভিতৰ সোমালোঁ। তাতে ফুলত থকা মৌ মোৰ গাত লাগিল। মই মৌ হেপাহ পলুৱাই খালোঁ।

'সন্ধ্যা আহিল। ফুলটো জাপ গ'ল। মই তাৰ ভিতৰতে বন্ধ হৈ থাকিলোঁ। পিছ দিনা ৰাতিপুৱা বিক্ৰমাদিত্য ৰজাৰ মালীয়ে আহি অন্য ফুলৰ লগতে সেই ফুলটোও নি ৰজাক দিলেগৈ। ৰজাই ফুলটো মূৰত ললে। মই ফুলৰ লগতে থাকি ৰজাৰ মূৰত উঠিলোঁ। পিছত ৰজাই গঙ্গাত স্নান কৰোঁতে ফুলটো পানীত পৰিল আৰু পানী সোমালত তাৰ পাহিবোৰ মুকলি হ'ল। ময়ো তেতিয়া মুকলিমূৰীয়াভাৱে গঙ্গাত স্নান কৰাৰ সুবিধা লভিলোঁ। এইদৰে মোৰ পাপ ক্ষয় হ'ল। সেইহেতুকে মোৰ গমন গহীন। মই এতিয়া সাধু-সন্ন্যাসীৰ দৰে হৈ পৰিছোঁ। ই সজ্জৰ লগত সঙ্গতি কৰাৰ ফল। তোমালোকেও তাকে কৰিবাহক। মোৰ কথাটো মই শোলোকত কম শুনিবা—

সজ্জৰ লগত সঙ্গতি হ'ল
    মধুক কৰিলোঁ পান;
বিক্ৰমাদিত্য ৰজাৰ মূৰত উঠি
    গঙ্গাত কৰিলোঁ স্নান।'

———

আৰু কিমান জোকাৰিব লাগিব বোপাই?

কালিদাস মহাকবি আছিল। তেওঁৰ পিতাক আছিল এজন সাধাৰণ মানুহ। পিছে কালিদাসৰ আচৰিত কবিত্ব দেখি বহুত লোকে ভাবিছিল তেওঁৰ পিতাক চাগৈ তেওঁতকৈও ডাঙৰ কবি। সেইদেখি তেওঁলোকৰ তেওঁক চাবলৈ বৰ হাবিয়াহ হৈছিল।

ইফালে কালিদাসে কথাটোৰ সম্ভেদ পাই পিতাকক ঘৰৰ পৰা বাহিৰলৈ যাব নিদিয়া হ'ল। তেওঁক চন্দ্ৰ-সূৰ্য্যেও নেদেখাত পৰিল। তাতে সকলোৰে কৌতুহল আৰু বাঢ়িল।

এদিন তেওঁলোকে কালিদাসক কলে—তেওঁলোকে কালিদাসৰ পিতাকক দেখা পাব খোজে। পিতাকে আহি তেওঁলোকৰ মাজত দু-আষাৰমান কথা কলেই হব। কালিদাসে কলে—'পিতা এতিয়া ডাঙৰ গৱেষণাত ব্যস্ত আছে। কোনো মানুহৰ লগত কথা নাপাতে। যি কব লগা থাকে মোক নিশা ভাত খোৱাৰ সময়ত কয়। গতিকে তেওঁৰ মুখেদি আপোনালোকে একো কথা শুনিবলৈ নাপাব।'

সকলোৱে কলে—'তেওঁ কথা নকয় যদি নালাগে কব। আমাৰ মাজত আহি কিছু সময় বহিলেই হব।'

কালিদাসে কলে—'লাগিলে তেওঁৰ বক্তব্যখিনি আগ নিশা শুনি লৈ মই কবহি পাৰোঁ, তেওঁ নীৰৱে বহি থাকি তেওঁৰে মন্তব্য যে হয় তাকে সমৰ্থন কৰি মূৰ জোকাৰি থাকিব।' সকলোৱে সেয়ে হব বুলি কলে।

পিছদিনা সেইমতে সভাত কালিদাসে বক্তৃতা দিবলৈ ধৰিলে আৰু কালিদাসৰ পিতাকে মূৰ জোকাৰি জোকাৰি সমৰ্থন কৰি থাকিল। মূৰ জোকাৰোঁতে জোকাৰোঁতে তেওঁৰ মূৰৰ বিষ উঠিল। আমনি লাগি তেওঁ শেষত কৈ পেলালে—'আৰু কিমান জোকাৰিব লাগিব, বোপাই? মূৰৰ বিষ উঠিল।'

সভাৰ লোকসকলে একো বুজিব নোৱাৰি তেওঁলৈ চাই ৰ'ল। [illegible] এতিয়া কালিদাসে কলে—'পিতাৰ মূৰৰ বিষ উঠিছে। [illegible] আৰু বহুত [illegible] আছিল, বাকী ইয়ানতে এৰিছোঁ।'

সভাৰ লোকসকলে হাঃ হাঃ কি কলে, 'যেনে পিতা তেনে পুত্ৰ।'

দ্বিতীয় খণ্ড

মায়া বুলবুল

(কাশ্মীৰী সাধু)

বাহাদুৰ খাঁ তেতিয়া পাৰস্য দেশৰ বাদচাহ। বাদচাহ মানে ৰজা। এই বাদচাহ বাহাদুৰ খাঁৰ এখন বৰ ধুনীয়া ফুলনি আছিল। ফুলনিখনলৈ বাদচাহে মাইকী মানুহকহে যাবলৈ দিছিল। মতা মানুহ তালৈ যোৱাটো নিষিদ্ধ আছিল। নাজানি-নুশুনি কেতিয়াবা কোনোবা গলে তাৰ উগ্ৰ শাস্তি হৈছিল।

পিছে এদিন এটা ঘটনা ঘটিল। এটা ফকীৰ বাট ভুল কৰি সেই ফুলনিত সোমালগৈ। মালীয়ে ফকীৰক ধৰি তাতে বন্ধ কৰি থলে আৰু দুতে গৈ বাদচাহক অচিন ফকীৰৰ বাতৰি দিলে। ফকীৰক চাবৰ কাৰণে বাদচাহ উজীৰক লগত লৈ বাগিচা পালেহি।

ফকীৰক দেখি বাদচাহে চকু পকাই খং কৰি সুধিলে—'হেৰ' ফকীৰ, তুই ক'ৰ মানুহ? কি লাগে? কিয় ইয়াত সোমাইছিলিহি?'

ফকীৰে কলে—'মই ফকীৰ বাবাজী মানুহ। ফুৰি ফুৰি ইয়াত ভুলতে প্ৰবেশ কৰিলোঁহি। ফুৰাই মোৰ কাম। তোমালোকৰ নো মই কি অনিষ্ট কৰিলোঁ, এনেকৈ যে মোক ধৰিছাহি?'

বাদচাহে ফকীৰৰ কথা শুনি বাগানৰ ফুলবোৰলৈ এবাৰ চাই পঠিয়ালত দেখিবলৈ পালে যে বাদচাহৰ নিচেই ওচৰতে এজোপা ধুনীয়া গোলাপ ফুলি আছে। গোলাপজোপাৰ গুৰিত এটা মৰা বুলবুল পখী। বাদচাহে খং কৰি কথা কৈ উঠাৰ লগে লগে ফকীৰ মাটিত ঢলি পৰিল আৰু খন্তেকৰ ভিতৰতে সেই বুলবুল পখীটো জী উঠিল। বাদচাৰ ক্ৰোধ অলপ উপশম হোৱাত আকৌ চৰাইটো মৰি পৰিল আৰু ফকীৰ জী উঠিল। ফকীৰ উঠি এই-বাৰ গহীন-গম্ভীৰভাৱে দুই এখোজকৈ ফুলনিৰপৰা বাহিৰ হল।

বাদচাহ তেওঁৰ পাছে পাছে গ'ল। দুখোজমান গৈ তেওঁ পুনঃ ফকীৰক কলে—'ফকীৰজী, তুমি নিশ্চয় কিবা মায়া-বিদ্যা জানা। তুমি মোৰ ৰাজধানীত থাকিব লাগিব। মই তোমাক তোমাৰ ইচ্ছামতে সুন্দৰ সুন্দৰ সুখাদ্য বস্তু সদায় খাবলৈ দিম। চাকৰ-বাকৰ যি লাগে তাকো পাবা। মোৰ লগত থাকিলে তোমাৰ একো দুখ নহব। তেনেকৈ থাকি তুমি মোক তোমাৰ মায়া-বিদ্যা অলপ শিকাই দিবা। হ'বনে বাৰু?'

ফকীৰ থাকিবলৈ মান্তি নহ'ল। তেওঁ কিন্তু দয়াপৰবশ হৈ বাদচাহক অকলে মাতি নি মায়াধৰা মন্ত্ৰটো শিকাই দিলে। বাদচাহে আকৌ সেই মন্ত্ৰ তেওঁৰ উজীৰক শিকালে। এইদৰে বাদচাহে আৰু উজীৰ দুয়ো মায়া বিদ্যাত পটু হৈ পৰিল।

ইয়াৰ কিছুদিনৰ পিছত এদিন বাদচাহ সসৈন্যে মৃগয়ালৈ গ'ল। লগত উজীৰো আছে। এনেকৈ গৈ গৈ হাবিৰ মাজত তেওঁলোকে এটা ধুনীয়া ভাটৌ চৰাই মৰি পৰি থকা দেখিলে। তাকে দেখি বাদচাহে কলে—'উজীৰ' কেনে ধুনীয়া ভাটৌটো চোৱাচোন! তাক উৰি ফুৰা চাবলৈ মোৰ বৰ মন গৈছে! তুমি তাৰ ভিতৰত সোমোৱাচোন! আহা! কি সুন্দৰ পাখিবোৰ! বেচেৰা কি হৈ মৰিল?'

উজীৰে কলে—'বাদচাহ, কেনে গেলা গেলা গোন্ধাইছে! আপুনি গোন্ধ পোৱা নাইনে? সি কেতিয়াবাই মৰি গেলি পচি ভিঙাকাৰ হৈ আছে। তাত সোমোৱা সম্ভৱ নে?'

বাদচাহে উজীৰৰ বাবা সেই সম্ভৱ নহব যেন পাই নিজেই গৈ মন্ত্ৰৰ বলত মৰা ভাটৌটোৰ শটোত সোমাল আৰু উৰা মাৰিলে।

চলাহী উজীৰে ইয়াৰেই ছেন্ চাই আছিল। বাদচাহ ভাটৌ হৈ উৰা মৰাৰ লগে লগে উজীৰে মন্ত্ৰৰ বলত তৎক্ষণাৎ নিজৰ শৰীৰটো মাটিত থৈ বাদচাহৰ শৰীৰত সোমাল আৰু ভৱিষ্যতে যাতে বজাই আহি তেওঁৰ লগত কোনো প্ৰকাৰে হেতাওপৰা কৰিব নোৱাৰে তাৰ বাবে নিজৰ শৰীৰটো টুকুৰা-টুকুৰকৈ কাটিলে। এইদৰে বাদচাহৰ জঁকাটোত সোমাই উজীৰে নিজে বাদচাহ হ'ল। ইয়াৰ পাছত তৰোৱাল হাতত লৈ বজাৰ ঘোৰাত উঠি গৈ তেওঁ সৈন্যসকলক কলে—'উজীৰ ঘোৰাৰপৰা পৰি মৰিল! সৈন্যবোৰেও তাকে পতিয়ালে।

ভাটৌৰূপী বাদচাহ যাতে আকৌ কেতিয়াও ঘূৰি আহিব নোৱাৰে তাৰ-বাবে নিষ্কণ্টক হবলৈ উজীৰ-ৰজাই সৈন্যবোৰক আদেশ দিলে—'যিয়ে সৌ ভাটৌটো মাৰি আনি দিব পাৰিব তাক মই বহুত ধন-সোণ পুৰস্কাৰ দিম।' এনে নিষ্ঠুৰ আদেশ শুনা মাত্ৰকে ভাটৌ আকাশলৈ উৰা মাৰিলে। সৈন্যবোৰে ধনু-কাঁড় লৈ পাছে পাছে কিছুদূৰ খেদিলে, কিন্তু সিহঁতৰ চেষ্টা ব্যৰ্থ হ'ল।

ভাটৌৰূপী বাদচাহে আকাশত উৰি উৰি থাকোঁতে হঠাৎ তেওঁৰ ফকীৰলৈ মনত পৰিল। তেওঁ উৰি উৰি গৈ ফকীৰক বিচাৰি উলিয়ালে আৰু কান্দি কান্দি তেওঁৰ আগত সকলো কথা বিবৰি কলে। ফকীৰে ভাটৌ-বাদচাহক নিৰ্ভয় দি নিজৰ আশ্ৰয়ত দিনদিয়েক ৰাখিলে।

মৃগয়াৰ অন্তত বাদচাহৰূপী উজীৰ ৰাজধানীলৈ উভতিল আৰু বাদচাহৰ হেৰেমৰ সকলো সুখ মনৰ খুকুৰি পলুৱাই উপভোগ কৰিবলৈ ধৰিলে। উপভোগে আমুৱাবলৈ ধৰাত তেৰোঁ এদিন পুনঃ মৃগয়ালৈ ওলাল। সৈন্য-সামন্তবোৰো লগত ললে। সকলোৱে গৈ অৰণ্যত প্ৰৱেশ কৰিলে।

হাবিত ফুৰি থাকোঁতে তেওঁলোকে এটা ধুনীয়া হৰিণ পোৱালি দেখিবলৈ পালে। বাদচাহৰ আদেশত সকলোৱে হৰিণ পোৱালিটো আগুৰি জীয়াই জীয়াই ধৰিবলৈ যত্ন কৰিলে। বাদচাহে কঠোৰ আদেশ জাৰি কৰিলে যে যাৰ ফালেদি পহু-পোৱালি সৰকি যাব তাৰে মূৰ কটা যাব। কাজে কাজে সকলোৱে হেহে-কেহে লাগি গ'ল।

এইদৰে থাকোঁতে, কি দুৰ্ভাগ্য, বাদচাহৰ মূৰৰ ওপৰেদিয়ে হৰিণ পোৱালি জপিয়াই পাৰ হ'ল। সি বায়ুবেগে লৰি পলাল। সকলোৱে হাহাকাৰ কৰি পহুৰ পাছে পাছে খেদি গ'ল।

ইফালে ফকীৰে মন্ত্ৰৰ বলত সকলো কথা জানি আছিল। তেওঁ সেইদিনা ভাটৌবেশী বাদচাহক কলে—'চাহেব, আজি তুমি তোমাৰ নিজৰ শৰীৰত সোমাব পাৰিবা। মৃগয়ালৈ নতুন বাদচাহ সসৈন্যে গৈছে। সেই বনটোৰ ওচৰে ওচৰে লুকাই উৰি ফুৰিলেই সেই পালী সুযোগে তোমাক হাততে ধৰা দিবহি। তাকে কৰা।' ভাটৌ গ'ল।

হৰিণটো ইতিমধ্যে সৈন্যবোৰক বহুত পাছত এৰি আগবাঢ়ি গৈছিল। দৌৰ দৌৰ উজীৰ-বাদচাহে হাবিৰ বাটত এটা মৰা ভাটৌ পৰি থকা দেখিলে।

তেওঁ এক মুহূৰ্ত্তও পলম নকৰি ভতালিকে নিজৰ দেহ এৰি মন্ত্ৰৰ বলেৰে ভালুকৰ শটোত সোমাল আৰু হৰিণৰ পাছে পাছে লৰ দিলে।

ভাটৌৰেশী বাদচাহে সেই সময়ত গছৰ ওপৰত থাকি সকলো লক্ষ্য কৰি আছিল। তেওঁ তৎক্ষণাৎ মাটিলৈ নামি আহিল আৰু উজীৰ-বাদচাহে এৰি থৈ যোৱা নিজৰ পূৰ্ব্বৰ শৰীৰত প্ৰৱেশ কৰিলে।

বাদচাহে নিজৰ ৰূপ পালে; কিন্তু উজীৰ হলে এতিয়াও ভালুক হৈ হৰিণৰ পাছে পাছে লৰিয়ে আছে। বাদচাহে ঘোৰাত উঠিলৈ এইবাৰ সৈন্যসকলক আদেশ দিলে—'হৰিণৰ আশা এৰাইক! সৌ লৰি যোৱা ভালুকটোকে বধ কৰা! বধ কৰা।'

বাদচাহৰ হুকুম শুনাৰ লগে লগেই কোনোবা সৈন্যৰ কাঁড় গৈ ভালুকৰ পাছ-ঠেঙত লাগিলে আৰু সি বাগৰি পৰিল। সৈন্যসকলে তাক জীয়াই জীয়াই বান্ধি আনি বাদচাহৰ হাতত শোধাই দিলে।

ভালুকৰ ফালে চাই তেতিয়া বাদচাহে কবলৈ ধৰিলে—'তই মোক বিশ্বাসঘাতকতা কৰিছিলি। তোক এতিয়া মই মাৰি পেলালেহে ভাল হব। নহলে মানুহে কব—এই বাদচাহৰ উজীৰ এটা বুঢ়া ভালুক। ভাল মানুহ এটাকো সি উজীৰ পাতি লব পৰা নাই।—তই নিজৰ শৰীৰ নিজে কাটি নষ্ট কৰিছ। গতিকে তোক এতিয়া মই তুৰন্তে হত্যা কৰোৱাত বাহিৰে আৰু কি কৰিম?'

ইয়াকে কৈ বাদচাহে ভালুকটোক চাৰিও ঠেঙত বান্ধি চিতাত তুলি পুৰি মাৰিবলৈ আদেশ দিলে। খন্তেকৰ ভিতৰতে চিতাৰ জুইত ভালুক পুৰি ভষ হৈ গ'ল। বিশ্বাসঘাতক উজীৰে কৰ্ম্মফল ভুগিলে।

ইয়াৰ পাছত প্ৰায় এশ বছৰ ৰাজত্ব কৰি বাহাদুৰ খাঁ বাদচাহে ইহলীলা সম্বৰণ কৰিছিল।

—x—

বামুণৰ বহুৱা

(কছাৰী সাধু)

(১)

এক বামুণৰ এটা লগুৱা আছিল। লগুৱাটো গাঁৱৰে কছাৰীৰ ল'ৰা। নিচেই সৰুকালৰেপৰা মাক-বাপেকে তাক বামুণৰ ঘৰত বন্ধা থৈছিল। সি আছিল অলপ টেঙৰ বিধৰ লোক। খুহুতীয়া কথা কৈ সি মানুহক ইহুৱাব পাৰিছিল। কাম-কাজতো সি বৰ খেমেলীয়া আছিল। মানুহে তাক বহুৱা বুলি মাতিছিল।

এদিন বহুৱাৰ কান্ধত পকা কল, দৈ, গুৰ, চিৰা, কাৱৈ-মাগুৰ মাছ, জহা চাউল আদিৰ মেট্‌মৰা ভাৰ এখন দি বামুণ শহুৰ-শাহুৱেকৰ ঘৰলৈ মিতিৰ খাবলৈ গ'ল। বাটত বহুৱাই পকা কল খায় বুলি বামুণে কলে—'হেৰ বহুৱা, তই মোৰ ঠিক পাছে পাছে আহিবি। কল-চল হলে একো নাখাবি একা। খালেও ধৰা পৰিবি। মই আগলৈ আৰু পাছলৈ দুয়ো পিনে দেখোঁ। তোক চাই আহিম।' এইবুলি কৈ দুয়ো যাত্ৰা আৰম্ভ কৰিলে।

লাহে লাহে বেলি উঠি আহিল। বহুৱাৰ পেটে আলু-কচু খানিবলৈ ধৰিলে। ভোকত উৎমৎ নাপাই সি লাহেকৈ ভাৰৰপৰা পকা কল এটাকে ছিঙি আনি বাকলি গুচাই ললে আৰু বামুণৰ পিঠিৰ ফালে দেখুৱাই টপৰ্‌ কৰে গিলি খলে। বামুণে একো নোকোৱা দেখি আকৌ আৰু এটা কল আনি আগৰ দৰে খালে। এনেকৈ এটা এটাকৈ খাওঁতে কলবোৰ টুকাই থাকিল। তাৰ কান্ধৰ ভাৰো অলপ পাতল হ'ল।

বামুণে এবাৰ বহুৱালৈ ঘূৰি চাই দেখে, ভাৰত কল এটাও নাই। জুলা আখিটোহে আছে। বামুণে উচপ খাই চিঞঁৰি উঠি কলে—'হেৰ বাঘে খোৱা, কলবোৰ তই কেতিয়া খালি?'

—'মই দেখোন দেউক দেখুৱায়ে খাইছোঁ। দেখে পাহৰিলে হবলা।' বহুৱাই কলে।

—হেৰ' কেতিয়া দেখুৱালি ? তই কল খোৱা মই কেতিয়া দেখিছোঁ ?

—কিয় ? যেয়ে যেখোন কৈছিল, তেওঁ বোলে পিঠিৰ কালেও দেখে।

—তই থালি মোক, তই থালি—বুলি বামুণে এইবাৰ বহুৱাক আগে আগে যাবলৈ দি পাছে পাছে তেওঁ গৈ থাকিল।

গৈ গৈ দুপৰীয়া দুয়ো এখন নৈৰ পাৰত ভাত ৰান্ধি খাবলৈ চৌ-খুটিয়া মাৰিলে। বামুণে কলহৰপৰা ৫/৬ টা জীয়া কাৱৈমাছ উলিয়াই বহুৱাক ৰান্ধিবলৈ দিলে। বামুণে সেইকেইটা ভাজিলে। তাৰ পাছত ভাত হ'লত দুখন কল-পাতত বামুণে দুয়োৰে কাৰণে বাঢ়ি থৈ নদীলৈ হাত-মুখ ধুবলৈ গ'ল। বহুৱাই ভাতৰ পাত ৰখি থাকিল।

বহুৱাই দেখিলে যে তাৰ পাতত বামুণে মাত্ৰ এটা কাৱৈ মাছ দি বাকী আটাইকেইটা নিজৰ পাতত লৈছে। বামুণ আহি পাতত বহি বহুৱাক কলে—'বহুৱা তয়ো খাবলৈ ধৰ।'

পাতত বহি বহুৱাই বামুণক সুধিলে—'দেউ, কাৱৈ মাছ বাক জাকেৰে উজায় নে অকলে উজায় ?'

বামুণে আগ-পাছ নভবাকৈ পোনে পোনে কলে—'জাকেৰে উজায়।'

বহুৱাই তেতিয়া কলে—'এৰা, ময়ো শুনিছিলোঁ তেনেকৈ। আজি দেখোন পিছে গতি অন্য ৰকমহে দেখিছোঁ। ইও জাকলৈয়ে যাওক—বুলি সি তাৰ পাতৰ ভজা মাছটো বামুণৰ পাতলৈ দলি মাৰি দি কলে—

'জাকৰ কাৱৈ জাকলৈ যাওক।

বামুণৰ বহুৱাই শুদা ভাত খাওক।।'

বহুৱাই তেনেকৈ ভজা মাছ নিজ হাতেৰে বামুণৰ পাতলৈ দলিয়াই দিয়াত বামুণৰ ভাত চুৱা গ'ল। বামুণে—'তই থালি হেৰ বাপে খোঁৱা। তই মোক থালি। তোৰ বুকতে যাওক এইবোৰ ; মই নাখাওঁ—' বুলি হাত-মুখ ধুলে।

বহুৱাই কলে—'তেন্তে দেউ, মোৰ তো মহাপাপ হ'লেই। মই এতিয়া কি কৰোঁ ? ময়ো লঘোণেই থকা ভাল হব।'

—মালাপে তই লঘোণে থাকিব। যি হ'ল হ'ল। ভজা মাছ কেইটা মোৰ চুৱৈহে হ'ল। তয়ে নি খা। —বামুণে কলে।

বামুণৰ আদেশ পাই টেঙৰ বছুৱাই সোপাকে উদৰ পূৰাই খালে। তেতিয়াৰ পৰাই আজিও মানুহে কয়—

'জাকৰ কাৰৈ জাকলৈ যায়
বামুণৰ বছুৱাই শুদা ভাত খায়।'

(২)

নৈৰ পাৰত ভাত খাই উঠি বামুণ আৰু বছুৱা দুয়ো পুনঃ যাবলৈ ধৰিলে। বামুণ আগত, বছুৱা পাছত। কান্ধত মেটমৰা ভাৰ আছে যদিও বছুৱাই ভাৰৰ কেৰেপ কৰা নাই; কাৰণ বামুণৰ আগৰো ভাত-মাছ খাই সি লুষ্ট-পুষ্ট হৈ আছে। ইফালে ভোকে-লঘোণে বাটকুৰি বোৱা কষ্টত বামুণৰ গাত তৎ নাইকিয়া হৈছে।

গৈ গৈ দুয়ো আলিৰ দাঁতিত কিছুমান শিমলু গছ দেখিলে। কথা কবলৈ মন যোৱাত বছুৱাই তেতিয়া সুধিলে— 'দেউ, এই গছবোৰক বাৰু আপোনালোকে কি গছ বোলে?'

বামুণ শিক্ষিত লোক। গতিকে তেওঁ কলে—'হেৰ মূৰ্খক, তই ইয়াকো নাজাননে? ইয়াৰ নাম শিম্লু'।' বছুৱাই তেতিয়াই কলে—'নহয় দেউ, নহয়। আপোনাৰ নিশ্চয় ভুল হৈছে। ইয়াক মানুহে বোলে 'হিম্লু'।'

বামুণে ভেকাহি মাৰি কলে—'বাহ্ মূৰ্খ। —তই যথা মূৰ্খ একো নাজান। মনে মনে থাক।'

বছুৱাও কিন্তু সহজে এৰা বিধৰ মানুহ নহয়। সি কলে—'দেউ, তেন্তে কথা বাৰু; কোন হাৰে, কোন জিকে তাকেই বাৰু চোৱা যাওক।'

বামুণে কলে—'বাৰু ব'ল। যাকে আগতে লগ পাওঁ তাকে সুধিম। তোৰ ভুল হলে কিন্তু লেখি লেখি পাঁচ কিল শোধাম।'

—আৰু দেউৰ ভুল হলে?—বছুৱাই সুধিলে।

—বাৰু, মোৰ ভুল হলেও একে কথা।

—তাৰ মানে?

—তাৰ মানে মোৰ ভুল হলেও সেই একে দৰেই তই শোধাব পাৰিবি।

এইদৰে দোৱান-বাথানকৈ গৈ থাকি দুয়ো কিছুমান গৰখীয়া লগ পালে। বামুণৰ বহুৱাই সিহঁতক সুধিলে—'হেৰ' গৰখীয়া ককাইহঁত! সোঁবোৰনো বাক কি গছ?'

গৰখীয়াহঁত গাঁৱলীয়া ল'ৰা। সিহঁতে হোজা কথাত পোনেই কলে—'ছিমলু গছ আক।' বহুৱাৰে জয় হ'ল। বামুণ হাৰিল। বহুৱাই তেতিয়া শোধপোচ নোহোৱাকৈ বামুণৰ পিঠিত লেখিলেখি পাঁচ খিল শোধালে। তাৰ পিছত দুয়ো আকৌ যাবলৈ লাগিল।

কিছুদূৰ যোৱাৰ পিছত বাটৰ কাষত চৰি থকা কিছুমান ছাগলী দেখি বহুৱাই আকৌ সুধিলে, 'দেউ, এইবোৰক বাক কি বোলে?'

বামুণে এইবাৰো পণ্ডিতীয়া কথাত পোনেই কলে—'ছাগ'।

বহুৱাই কলে -'নহয়, নহয়! দেউতাই ভুল কৰিছে। এইবোৰক 'ছাগলী'হে বোলে। নহয় যদি বাক কথা বান্ধক।'

দুয়ো আকৌ আগৰদৰে কথা বান্ধিলে: বামুণ হাৰিলে বামুণে পাঁচ কিল খাব, বহুৱা হাৰিলে বহুৱাই পাঁচ কিল খাব।

ওচৰতে মানুহ এজনে হাল বাই আছিল। দুয়ো তেওঁক সুধিলে 'হেৰা ককাই, এই জন্তুবোৰক তোমালোকে বাক কি বোলা?'

হালোৱাজনেৰে কলে—'কি বুলিম আক? ছাগলী বোলো।' এইবাৰো বামুণ হাৰিল, বহুৱা জিকিল। বামুণৰ পিঠিত পাঁচ কিল পৰিল।

আকৌ দুয়ো যাবলৈ ধৰিলে। গৈ গৈ এইবাৰ পথাৰত কিছুমান চৰাই দেখি বহুৱাই কলে—'দেউ, বাক তিনিবাৰে নিবাৰ। এইবাৰ কোন জিকে চাওঁ। এই চৰাইবোৰক আপোনালোকে বাক কি বোলে?'

বামুণে কলে—'বগ'।

বহুৱাই কলে—'ওহোঁ। মোৰ মতে এইবোৰ বগ-তগ নহয়, বগলীহে।' এইবাৰো আগৰদৰে কথা বন্ধা হ'ল।

এইবাৰো বাটকৰা মানুহ এজনক সোধাত এইবাৰো উত্তৰ আহিল—'বগুলা'। এইবাৰো বামুণে পাঁচটা ঔ-কিল পালে।

বামুণে তেতিয়া ভাবিলে—মূৰ্খৰ লগত সঙ্গতি কৰিলে সকলোৰে গতি এনেকুৱাই হয়। তেওঁ তেতিয়া গোটেই ঘটনাটোৰে এটা চোলোকত ৰচনা কৰি কলে -

'ছাগ শিম্বলু বগ বকাৰণ;
তিনি-পাঁচ পোন্ধৰ কিল খোৱা অকাৰণ।'

(৩)

পণ্ডিত বামুণ আৰু বহুৱা লগুৱা দুয়ো এইদৰে গৈ গৈ সন্ধিয়া গন্তব্য স্থান পালে। বামুণৰ তেতিয়া বৰ ভোক লাগিছিল। নঙলাৰ পুখুৰীতে হাত-ভৰি ধুই যাওঁ বুলি বৈ তেওঁ বহুৱাক কলে—'বহুৱা, মই হাত-ভৰি ধুই শুদ্ধ হৈ যাব লাগিছোঁ। তই গৈ শাহু-আইক কবি—মোৰ বৰ ভোক লাগিছে। সোনকালে শুদাই-নিকাই এমুঠি ভাত লাগে। জা-জলপান নহলেও হব।'

বহুৱা গ'ল। সি গৈ ভাৰখন নমাই থৈ কলে—'আই, আমাৰ দেউতা আহিব লাগিছে। জা-জলপান নাখায় বোলে। সোনকালে হাঁহ এটা মাৰি পচলা আৰু কলা-খাৰেৰে ৰান্ধি ভাত দিবলৈ কৈছে।' বহুৱাই ভালকৈ জানিছিল যে বামুণে মঙহেৰে সৈতে কলা-খাৰ দি ৰন্ধা পচলাৰ আঞ্জা একেবাৰে ভাল নাপায়। ই বহুৱাৰহে জুতিৰ আঞ্জা।

শাহুআয়ে জোঁৱায়েকৰ ৰুচি মতেই পচলাৰে হাঁহ ৰান্ধি থলে। খাবৰ সময়ত আঞ্জা দেখি বামুণ নিৰুপায় হ'ল। কাৰণ, তেনে আঞ্জা বামুণে খাব নোৱাৰে। ইফালে নাখালেও নহয়, পেটত বমুৱৰীয়া ভোক। অগত্যা কেইগৰাহমান খাই বামুণে খোৱা বন্ধ কৰিলে। বামুণে বহুৱাৰ টেঙৰালি বুজাকৈ নাথাকিল।

পিছদিনা বামুণে ভাবিলে—বহুৱাক লগত ৰখাৰ আৰু কোনো প্ৰয়োজন নাই। বৰং বহুৱা লগত থাকিলে বামুণক সি আৰু অনেক লটিঘটিহে কৰিব পাৰে। সেইবাবে এখন চিঠি লিখি বহুৱাৰ হাতত দি তেওঁ কলে—'শুন বহুৱা, তই এই চিঠি নি মোৰ সৰু ভাই জয়ৰামক দিবি। বাটত কাকো নেদেখুৱাবি।' কথামতে বহুৱাই চিঠি লৈ যাত্ৰা কৰিলে।

বামুণেনো চিঠিত কি লিখিছে তাকে জানিবলৈ বাটত বহুৱাৰ বৰ ইচ্ছা হ'ল। সি বাটত এজন মানুহৰ দ্বাৰাই চিঠিখন পঢ়ালে। বামুণে চিঠিত লিখিছিল—'জয়ৰাম, এই চিঠি পাই তুমি ছলে-চক্ৰান্তই বহুৱাক গোপনে মাৰি পেলাবা। সি মোক ভীষণ অপমান দিছে। আইৰে যেন চিঠিখন নাপায়। সাৱধানে কামটো কৰিবা।'

চিঠিৰ কথা শুনি বহুৱাৰ চুলিৰ আগেদি ধাতু উৰি গ'ল। সি সেই মানুহজনক হ'তে-ভৰিয়ে ধৰি এইদৰে চিঠি এখন লিখালে—এই চিঠি পাই

অতি শীঘ্রে এওঁলৈ আমাৰ ভতিজা-ছোৱালীজনীক বিয়া দিবা। জাতিৰ কথা নাভাবিবা। তাৰ ভৱিষ্যত বৰ উজ্জল। বিশেষ কাৰণত মই বিয়াখনত থাকিব নোৱাৰিম। বিয়াত বেছি ধুমধাম কৰিব নালাগে। মন্ত্ৰেৰে কোনোমতে কামফেৰা সমাধা কৰিবা। মই গলে সকলো কথা শুনিবা। আমি বহুত ধন-সম্পত্তি পাম। জৰুৰী।' আগৰখন চিঠি ফালি পেলাই এইখন সযতনে লৈ বছুৱা বামুণৰ ঘৰ পালেগৈ। চিঠি পঢ়ি চাই জয়ৰামে তিনি দিনৰ ভিতৰতে নিজৰ জীয়েকক বছুৱালৈ বিয়া দিলে।

ঘূৰি আহি ঘৰত কথাবোৰ শুনি বামুণ থঙত অস্থিৰ হ'ল। পিছত ঘৰৰ সকলোৱে মিলি ৰাতি শুই থাকোঁতে বছুৱাক মাৰি পেলাবলৈ ফন্দি পাতিলে। বছুৱাৰ ঘৈণীয়েকে কিন্তু সকলো কথা শুনি আছিল। ঘৰৰ কোনেও তেওঁক সন্দেহ নকৰিলে। আনকি তেওঁ থকা কথাও অনুমান নকৰিলে।

পিছে, হাজাৰে হওক, বছুৱা তেওঁৰ নিজৰে পতি। গতিকে ৰাতি তেওঁ গোপনে সকলো কথা বছুৱাৰ আগত কলে। তেওঁলোক দুয়োৱে তেতিয়া পৰামৰ্শ কৰি বামুণৰ গোহালিৰপৰা অকণমান দামুৰি এটা আনি বিচনাত কাপোৰ জাপি শুৱাই থলে।

ৰাতি বামুণ হাতত-দাৰে ভৰিত সাৰে বছুৱা শোৱা ঘৰত সোমালহি। তেওঁ কাপোৰৰ আঁৰত শুৱাই থোৱা দামুৰিটোকে বছুৱা বুলি ভাবি আক্ৰোশত মুচৰি মুচৰি কিলাই-ভুকুৱাই মাৰি পেলালে আৰু আগৰদৰে চোৰ বোৱাৰ দৰে গোপনে ওলাই গ'ল।

ৰাতি পুৱালত বামুণে জানিলে যে তেওঁ গো-হত্যা কৰিলে। তেওঁ ভতিজা-জীয়েকক কৈ-মেলি বছুৱাৰ ওচৰত ক্ষমা খুজি বছুৱাৰ হতুৱায়ে দামুৰিটো বাৰীত গোপনে লাওৰ চাঙৰ তলত পুতি থোৱালে। বছুৱায়ো চিন ৰাখিবৰ কাৰণে বুদ্ধি কৰি দামুৰীৰ নেজ অকণমান মাটিৰ ওপৰত উলিয়াই ৰাখিলে।

ইফালে গো-হত্যা পাপৰপৰা মুক্তি পাবলৈ বামুণে ভোজ পাতিলে। আগে-পিছে বামুণে কেতিয়াও তেনে আয়োজনেৰে ভোজ পতা নাছিল। এইবাৰ বিনা কাৰণতে ডাঙৰ ভোজ পতা দেখি সকলোৱে মনত অলপ কৌতূহল উপজিল। ভোজৰ বিনা বাহুবৰ্ণে আহি থাবৰ সকলো কিয়

ভোজ পতা হৈছে বামুণক সুধিলে। বামুণে—একো কাৰণ নাই, এনেয়ে পতা হৈছে' বুলি কলে। কবয়ে বা কি? কলেই যে লেঠা। পঘা ভিঙিত লৈ ঘৰে ঘৰে হেঁহেঁনিয়াই ভিক্ষা মাগি ফুৰিব লাগিব।

বহুৱাই ছেগ চাই আছিল। যেতিয়া মানুহবোৰ খাবলৈ বুলি ভোজৰ পাতৰ ওচৰে ওচৰে বহিল তেতিয়া দৌৰ মাৰি বহুৱা লাওৰ চাঙৰ তললৈ গ'ল আৰু মাটিৰ ওপৰত ওলাই থকা দামুৰিৰ নেজত ধৰি চিঞৰি চিঞৰি কবলৈ ধৰিলে—

'বামুণে গৰু মৰা মিছা ঐ।
লাওৰ চাঙৰ তলত পুতি থোৱাও মিছা ঐ।
নেজ এৰবে ওলাই থকাটোও মিছা ঐ।
তাৰ বাবে ভোজ দিয়াও মিছা ঐ।"

কথা শুনি মানুহবোৰ হতভম্ব হ'ল। সকলোৱে উঠি গৈ লাওৰ চাঙৰ তললৈ চোঁচা ললে। সৈ দেখে কথা বিষম। বুজিব পাৰি সকলোৱে বাম-হৰি স্মৰি ফিহা-ফিহি গুচি গ'ল।

বামুণৰ ভোজ শেষত কাউৰী-কুকুৰেহে খালে। এতিয়া বাৰু কোৱাচোন, বামুণে গিয়ান নে বহুৱায়ে গিয়ান? আমাৰ

কথাবো পৰিল ওৰ;
ঢেঁকিয়াই মেলিলে থোৰ।
কাকোনে মেলিলে ডাবি;
কোন ক'ত যাবি।।

নৈবোৰ কেনেকৈ হ'ল

(কছাৰী সাধু)

এহাল বুঢ়া-বুঢ়ী আছিল। সিহঁতৰ এপাল ল'ৰা-ছোৱালী আছিল। এদিন বুঢ়ীয়ে কলে—'বুঢ়া, বুঢ়া! আমি মৰিলে বাক আমাৰ ইমান বোৰ ল'ৰাছোৱালীয়ে কি কৰি খাব? আমাৰ ধন-পইচা নাই। সেই কাৰণে তই কুবেৰৰ তালৈ যা। তেওঁক খুজি ধনসম্পত্তি কিছু আনিবি। পিছে আকৌ কুবেৰ দেৱতা বোলে বৰ কিপিণ। কাকো ধন-সম্পত্তি দিব নোখোজে। তেওঁ যদি অগত্যা ধন-সম্পত্তি নিদিয়ে তেনেহলে তেওঁৰপৰা অন্ততঃ ধান-মাহ-সৰিয়হ আদিৰ ভাল ভাল গঁচকে কিছু আনিবি। তাকে পালেও আমাৰ হব। শুদা হাতে ঘূৰি নাহিবি আকৌ।'

বুঢ়ীৰ কথা শুনি বুঢ়া যাবলৈ ওলাল। বাট বহুত দূৰ গুণে বুঢ়ীয়ে বুঢ়াৰ কাৰণে টোপোলা এটাত এটোপোলা পিঠাগুড়ি বান্ধি দিলে। লগতে আঠীয়া কল ছুটামানো দিলে। এইদৰে বুঢ়া কুবেৰৰ ঘৰলৈ গ'ল।

বহুত দিন গৈ গৈ বুঢ়াই কুবেৰৰ ঘৰ পালে। পাই, নিজৰ দুখ-দুৰ্গতিৰ কথা বৰ্ণাবলৈ ধৰিলে। কুবেৰ দেৱতাৰ কাণ দুখন অলপ কলা। অলপ কথা তেওঁৰ কাণত নপৰে। বুঢ়াই দেখিলে, কুবেৰে তেওঁৰ স্তুতি-মিনতি আদি-কুআই কৰা নাই তেওঁ তেতিয়া চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে। তাতে কুবেৰৰ মন কুমলিল। বুঢ়াৰ কাণে ঘূৰি চাই কুবেৰ দেৱতাই কলে—'দেৱ' বুঢ়া, দেৱৰ ভাত ধন আছে বুলি তোক কোনেনো কলে? মই ভিখাৰীক দিবলৈ ধনৰ ভঁৰাল বান্ধি থোৱা নাই। আৰু অলপ [illegible] [illegible] বহিছ?'—বুঢ়াই কলে—'আপুনি দেৱতা, মই [illegible] [illegible] মানুহ। দেৱতাৰ [illegible] [illegible] [illegible] আদি মই [illegible] [illegible] [illegible] [illegible] মানুহে—[illegible] [illegible] [illegible] [illegible] সেই [illegible] [illegible] ধন [illegible] নিদিয়ে তেন্তে ধান-মাহ-সৰিয়হ আদিৰ [illegible] কিছু দিয়ক। [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] কুবেৰ দেৱতা [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible]

লাওৰ সঁচ এলোপা বুঢ়াক দিলে। বুঢ়াই সেইবোৰ যতনেৰে টোপোলাত বান্ধি ললে আৰু পুনঃ ঘৰমুৱা হৈ খোজ ললে।

আহি আহি আঠ দিনৰ মূৰত বুঢ়াই ঘৰ পালেহি। বুঢ়ীয়ে বুঢ়াৰপৰা সকলো কথা শুনি মনত বৰ হৰিষ পালে। দিনচেৰেক জিৰণি লৈ এদিন শুভ দিন, শুভ ক্ষণ চাই বুঢ়া খেতি কৰিবলৈ যাবলৈ ওলাল। বুঢ়ীয়ে বুঢ়াক আগৰদৰে টোপোলাত কল অ'ক পিঠাগুৰি বান্ধি দিলে। বুঢ়া এইবাৰ বহুত দিনলৈ থাকিব বুলি দেখি বুঢ়ীয়ে গুৰ-সনা শুকান পিঠা-গুৰিও এটোপোলা দিলে। এই আটাইবোৰ ভাৰ বান্ধি লৈ বুঢ়া খেতি কৰিবলৈ গল।

তিন দিনৰ বাট গৈ বুঢ়াই এদৰা মনোমত মাটি দেখিলে। সাৰুৱা মাটি দেখি বুঢ়াৰ মনটো উজলি উঠিল। বাটৰ দুখ-কষ্ট বুঢ়াই যেন সকলো পাহৰিলে। মাটি দেখি বুঢ়াৰ মনটো নাচি উঠিল। বাটৰ দুখ-কষ্ট বুঢ়াই যেন সকলো পাহৰিলে। মাটি ডোখৰৰ চাৰিওফালে এবাৰ বুঢ়া ঘূৰিলে আৰু চৌহদত চাট মাৰিলে। তাৰ পিছত বুঢ়াৰ বুঢ়ীলৈ মনত পৰিল। মাটি ভাঙিবলৈ দা-কুঠাৰো লগত নাছিল। গতিকে বুঢ়া উভতিল।

ঘৰ পাই বুঢ়াই বুঢ়ীক মাটিৰ কথা কলে আৰু দুদিনমান ঘৰত জিৰণি লৈ পুনঃ আগৰদৰে খেতিৰ পামলৈ যাত্ৰা কৰিলে। বুঢ়াই এইবাৰ লগত দা, কুঠাৰ, কোদাল, খন্তি সকলো ললে। খেতিৰ ঠাই পাই মাটিৰ চাৰিও সীমাত পোনতে বুঢ়াই ভূতক পূজা দিলে। তাকে নকৰিলে হয়তো অশিষ্ট ভূতবোৰে বুঢ়াৰ খেতি নষ্ট কৰি পেলাব—সেয়ে বুঢ়াৰ ভয়। পূজা কৰাৰ পিছত মাটি ভাঙি চহ কৰি বুঢ়াই তাত শস্যৰ বীজ সিঁচিলে। শস্যই যেতিয়া গজালি মেলিলে বুঢ়াৰ মনত তেতিয়া অপাৰ আনন্দ লাগিল। বুঢ়ীক এই শুভ সংবাদ দিবলৈ বুলি বুঢ়া তেতিয়া আকৌ ঘৰলৈ আহিল।

ঘৰ পাই এইবাৰ বুঢ়া-বুঢ়ী দুয়ো আনন্দত আপোন-পাহৰা হল। বুঢ়াই 'কেইদিনমান' ঘৰত থাকি পুনঃ খেতিৰ পামলৈ ওলাল। এইবাৰ বুঢ়ীয়ে কলে—'ময়ো যাওঁ।' বুঢ়াই উত্তৰ দিলে—'তই যাবি কেনেকৈ? [illegible] দূৰৰ বাট [illegible]। তাতে [illegible] এটোপা [illegible] খাবলৈ নাই। [illegible] তোৰ পিয়াহ লাগিলে মই কি কৰিম?' বুঢ়ীয়ে [illegible]—'তোমাৰ [illegible] মই লৈ [illegible]। পিয়াহ নালাগে। [illegible] এক লোটা পানী [illegible] লম।' দুই [illegible] কেইদিন আগে আগে বাটটো [illegible] [illegible] [illegible]

কৰিব নালাগে।' বুঢ়ীৰ কথা এবাৰ নোৱাৰি বুঢ়া মান্তি হ'ল। দুয়ো কল পিঠাগুৰি সকলো যোগাৰ কৰি ললে।

এইদৰে দুয়ো যাবলৈ ধৰিলে। গৈ আছে, গৈ আছে, গৈ গৈ দুয়ো খেতি পথাৰৰ ওচৰ পাওঁ পাওঁ হ'লগৈ। বুঢ়ীৰ তেতিয়া লাগিল পিয়াহ। বুঢ়ীয়ে বুঢ়াক কলে—'বুঢ়া, অ' বুঢ়া! মোৰ বৰ পিয়াহ লাগিছে। মুখ তেনেই তালুলৈকে শুকাই গৈছে। মাত লোলোৱা হৈছে। পানী খাবলৈ নাপালে মই এতিয়া বাটতে মৰি থাকিম এক।' বুঢ়াই কলে—'ঘুগুলী বুঢ়ী, মই আগে নকৈছিলোনে—বাটত পিয়াহ লাগিলেই লেঠা লাগিব বুলি? এতিয়া মই ক'ৰপৰা পানী আনি দিম?' বুঢ়ীয়ে কলে—তেনে মই বাৰু মৰোৱেই দে। তয়ে কৃষি খাগৈ।' বুঢ়াই কলে 'নালাগে বহু মৰিব। ইয়াতে অলপ বহ। মই পানী বিচাৰি যাওঁ।' এই বুলি বুঢ়া গ'ল পানী বিচাৰি—বুঢ়ী থাকিল বহি।

বুঢ়াই বাটৰ কাষৰ হাবিয়ে, খালে-ডোঙে নিৰীখি নিৰীখি চালে; ক'তো কিন্তু পানী এটোপাও নেদেখিলে। সকলো শুকাই তেনেই খৰখৰীয়া হৈ আছে। বিচাৰি বিচাৰি অৱশেষত বুঢ়াই এটা ধুনীয়া পুখুৰী দেখিলে। বৰ ডাঙৰ পুখুৰী। পুখুৰীটোত বহুত পদুম ফুল ফুলি আছিল। হাঁহ, ভাটৌ, পানীবগ, কোৰা, বগলী, শৰালি আদি অনেক চৰায়ে পানীত নাচুৰি সাঁতুৰি গোটেইখন ঠাই কিৰিলিত খলক লগাইছিল। বুঢ়াই পুখুৰীটো চালে আৰু বুঢ়ীক আনিবলৈ উভতি খোজ ললে। বাটত বুঢ়াই ভাবিলে—যদি শাখিনী বুঢ়ীক আকৌ পুখুৰীৰ পদুম ফুল লগা হ'ল তেতিয়া মই কৰিম কি? গতিকে বুঢ়াই গৈ এটা বুদ্ধি কৰিলে। বুঢ়ীৰ চকুত সাত তৰপ কাপোৰ বান্ধি দি ক'লে, 'বুঢ়ী, পানী বিচাৰি পাইছোঁ। কিন্তু সিটো ঘোলে কেও লগা পুখুৰী। তিৰোতা মানুহ তালৈ গলে বগা হয়। গতিকে চকুত কাপোৰ বান্ধি দিলোঁ। তই তাত পানী খাই উঠি উভতি ইয়ালৈ নহালৈকে চকুৰ কাপোৰ নুখুলিবি। খুলিলে দুয়োৰে৷ মহা বিপদ হব।' সেইমতে বুঢ়ী গৈ পুখুৰীত হাতৰ আজলিৰে পানী খাবলৈ ধৰিলে।

পিয়াহ পলোৱাত পুখুৰীটোত নো কি আছে চাবলৈ বুঢ়ীৰ বৰ মন কৰিল। তাতে চৰাইবোৰৰ কিৰিলি আৰু পদুম ফুলৰ সোৱাদে বুঢ়ীৰ কৌতু-হল আৰু বঢ়াইছিল। বুঢ়াই কাষতে থিয় হৈ থাকি আকৌ কলে—'বুঢ়ী

তেও কিন্তু পুখুৰীৰ মাজলৈ নাচাবি, চালে দুয়ো বন্দী হম। মহা বিপদ হব।' বুঢ়ীয়ে ভাবিলে—বুঢ়া থাকোঁতেনো মোৰ কি বিপদভাল হব? দুয়ো যদি বন্দী হওঁ, সিও ভালেই। একে লগে থাকিম। —এই ভাবি পানী খোৱাৰ ছলেৰে চকুৰ কাপোৰখন অলপ গুচাই পানীলৈ চাই পঠিয়ালত বুঢ়ীয়ে দেখে চৰাইবোৰে পুখুৰীৰ পানীত খেলিব লাগিছে। পুখুৰীত অলেখ পদুম ফুল ফুলি আছে। পদুমৰ গোন্ধত ওচৰৰ ঠাই তেনেই আমোলমোল। বুঢ়ীয়ে হেপাহ পলুৱাই পানী খ'লে আৰু উঠি আহি পাৰত বুঢ়াক কলে -'বুঢ়া, বুঢ়া! ইয়াতে দিনচেৰেক থাকিবলৈ মোৰ বৰ মন গৈছে ঐ। চাওঁ, কাপোৰখন গুচাই দেচোন, ঠাইডোখৰকে এবাৰ চাই লওঁ।' এই বুলি নিজেই চকুৰ কাপোৰখন খুলি পেলা'লে আৰু কলে—'অ': কি সুন্দৰ ঠাই চাচোন বাৰেখোৱা বুঢ়া! এইখন চালে বোলে আমি দুয়ো বন্দী হম। বন্দী দেখোন নহলোঁ। বন্দী নহলেও বাৰু আমি ইয়াত দিনচেৰেক থাকো দে।'

বুঢ়া বিমোৰত পৰিল। অগত্যা বুঢ়ীৰ কথা পেলাব নোৱাৰি দুয়ো তাতে কিছুদিন থাকিল। বুঢ়াই যি ভয় কৰিছিল সেয়ে হ'ল। বুঢ়ীয়ে সেই ঠাই নেৰাই হ'ল। বুঢ়াক কৈ-মেলি এটা পজা ঘৰ সাজি ললে আৰু তাতে দুয়ো অনেক দিন থাকিল। সিহঁতৰ ল'ৰা-ছোৱালীও তাত আৰু এঘৰা হ'ল। বুঢ়া-বুঢ়ীয়ে তাৰপৰাই খেতিৰ পথাৰলৈ গৈ খেতিৰ শস্য আনিবলৈ ধৰিলে। বুঢ়া-বুঢ়ীয়ে আগৰ ঘৰলৈ গৈ নিজৰ ল'ৰাছোৱালীবোৰকো খেতিৰ প্ৰণালী শিকাই দিলে। সিহঁতেও আহি বুঢ়া বুঢ়ীৰ খেতিৰপথাৰ গঁচ নি খেতি আৰম্ভ কৰিলে আৰু সুখেৰে থাকিবলৈ ললে। চাৰিওফালে খেতি তেনেই নদন্-বদন হ'ল।

তেতিয়া এদিন বুঢ়াই আকৌ ভাবিলে—আমাৰ ল'ৰা-ছোৱালীবোৰে কেৱল খেতি কৰিয়ে থাব নে? সিহঁতৰ কাৰণে অন্য কিবা কিবি উপায় কৰা যাওক। এইবুলি ভাবি-চিন্তি বুঢ়া এইবাৰ হিমালয় পৰ্বতত উঠিল। তাত উঠি বুঢ়াই এঠাইত এটা পুখুৰী দেখিলে। পুখুৰীটোত অলপ পানী আছিল। তাকে দেখি বুঢ়াৰ মনত পেলালে বোলে, এই পুখুৰীটোকে খান্দি-খুন্দি লৈ তাত মাছ জীয়াব লাগিব। ল'ৰা-ছোৱালীবোৰে ইয়াৰ পাৰতে খেতিয়াবা থাকি ইয়াৰ মাছ আৰু পানী খাই সুখ পাব। এই বুলি বুঢ়াই পুখুৰীটো ডাঙৰকৈ খান্দিলে আৰু তাত নানাপ্ৰকাৰ মাছ জীয়ালে।

পিছে এদিন ভাগ্য-দেৱতা শ্ৰী চিকাৰ কৰি কৰি সেই পিনে যাওঁতে লগত গৈছিল তেওঁৰ বগা কুকুৰটো। শ্ৰীদেৱতাই আকৌ তিনিটা বস্তু চিকাৰ কৰে : খটীয়া পহু, শহা পহু আৰু কাছ। সেই দিনা পিছে চিকাৰ বিচাৰি গৈ থাকোঁতে তেওঁ সেইখিনি ঠাই পালেগৈ। তাতে তেওঁৰ বৰ পিয়াহ লাগিল। তেওঁ পানী খাবলৈ পুখুৰীলৈ গ'ল। হাতৰ আজলিত খাবলৈ বুলি পানী তুলি লৈছেহে মাথোন, এনেতে পুখুৰীৰ মাছবোৰে আহি তেওঁক কলে—'পানী খাওক, কিন্তু তাৰ সলনি আমাক হলে এটা বৰ দিব লাগিব।'

শ্ৰীদেৱতা মান্তি হ'ল, আৰু হেপাহ পলুৱাই পানী খাবলৈ ললে। তেতিয়া মাছবোৰে কলে—'আমি শুনিছোঁ লুইত নামে এখন পবিত্ৰ নৈ আছে। আপুনি আমাক সেই নৈখনলৈ নিব লাগে। ইয়াত চাৰি সীমাৰ ভিতৰত থাকি থাকি আমাৰ সঁচাকৈয়ে বৰ আমনি লাগিছে।

শ্ৰীদেৱতাই ভাবিলে—আগে কথা দিলোঁ যেতিয়া নিবই লাগিব। এই বুলি ভাবি তেওঁ বচিৰে মাছবোৰ টোকনৰ এমূৰে বান্ধি ললে। তাৰ পিছত কিন্তু তেওঁ ভাবিলে—সেইৰূপে টোকনত আৰি টানি নিবলৈ হলে মাছবোৰ মৰি গোপাত হব। গতিকে সিহঁতৰ হিতৰ কাৰণে তেওঁ ভাবি ভাবি থিৰ কৰিলে যে পুখুৰীৰপৰা সোঁত কাটি সেই সোঁতেদি পানীৰ লগতে মাছবোৰ নিব পাৰিলেহে বঢ়িয়া হব। তেওঁ সেইমতে কাম কৰিলে। পানীৰ লগতে মাছবোৰো গ'ল। সিহঁতে মুক্তি পালে। এই সোঁতটোৱে প্ৰথম নদী হ'ল। এই নদীকে দেখি সৰু সৰু অলেখ নদী হ'ল।

পিছে উপকাৰৰ প্ৰতিদান দিবলৈ বুলি মাছবোৰে বুঢ়া বুঢ়ীৰপৰা আনি শ্ৰীদেৱতাক এটা লাউ আৰু এটা কোমোৰা উপহাৰ দিলে। লাউ আৰু কোমোৰা দুটা লৈ শ্ৰীদেৱতা বাবলৈ ধৰিলে। গৈ থাকোঁতে সন্ধিয়া নামি অহাত তেওঁ গৈ এজন বন্ধুৰ ঘৰত থাকিবলৈ ললে। বন্ধুৱেও তেওঁক বৰ আদৰ-সাদৰ কৰিলে আৰু গাহৰি মাৰি ভাত খুৱালে।

বন্ধুৰ অতিথি সৎকাৰত তুষ্ট শ্ৰীদেৱতাই তেওঁক পিছদিনা কোমোৰাটোকে উপহাৰ দিলে। কিন্তু যেতিয়া তেওঁৰ বন্ধুৱে কোমোৰাটো কাটিলে তেতিয়া তেওঁ দেখে যে তাৰ ভিতৰখন তেনেই জিলমিলীয়া কপেৰে ভৰপূৰ। বন্ধু-

ল্ৰেকৰ মনত বৰ বং লাগিল। তেওঁ তেতিয়া শ্ৰীদেৱতাক আৰু এদিন থাকি যাবলৈ হাতে ভৰিয়ে ধৰিলে। শ্ৰীদেৱতায়ো বন্ধুৰ কথা পেলাব নোৱাৰি আৰু এদিন বেছিকৈ থাকিল। যাবৰ সময়ত তেওঁ এইবাৰ বন্ধুৰেকক লাউটো উপহাৰ দিলে।

লাউটো পাই বন্ধুৰেকে এইবাৰো আতো-পুতোকৈ কাটিলে। সঁচাকৈয়ে তেওঁ দেখিলে লাউটোৰ ভিতৰখন সোণেৰে ভৰা। তেওঁৰ মনত যে কিমান আনন্দ হ'ল!

ইস্কুলে শ্ৰীদেৱতাই ঘৰলৈ উভতি আহি দেখে তেওঁৰ স্নেহনীয়া জীয়েকৰ বৰ টান জ্বৰ। জ্বৰ নেৰেহে নেৰে। দৈৱজ্ঞই গণি-পঢ়ি কলে—মাছবোৰে উপহাৰ দিয়া বস্তু দুটা তেনেকৈ আওহেলা কৰি আনক দি অহা বাবে মাছৰ শাওত তেওঁৰ জীয়েকৰ জ্বৰ হৈছে। মাছবোৰ তুষ্ট হলেই জ্বৰ এৰিব। মাছক তুষ্ট কৰাবো উপায় লগতে দিলে। কলে যে নৈৰ পাৰত পূজা কৰিলে মাছবোৰ তুষ্ট হব আৰু জ্বৰ-নৰিয়া গুচিব। শ্ৰীদেৱতাই দৈৱজ্ঞৰ উপদেশমতে নদীৰ পাৰত পূজা কৰিলে। আচৰিত কথা, সেই পূজাৰ লগে লগে শ্ৰীদেৱতাৰ কন্যা নিপোটল, নিকজ হৈ পৰিল আৰু তাই পূজাৰ উপকাৰিতা ব্যাখ্যা কৰিবলৈ ধৰিলে। সেই দিন ধৰি নৈৰ পাৰত মাছ আৰু কুম্ভৰ পূজা হৈ আহিছে।

নৈৰ জন্ম এইদৰেই হৈছিল আৰু যেতিও পৃথিৱীলৈ এইদৰেই নামি আহিছিল।

কটাইমাহেৰী পুখুৰীৰ পানী

(কছাৰী সাধু)

এখন দেশত এজন ৰজা আছিল। ৰজাৰ এটা ল'ৰা আছিল। ল'ৰা-টোৰ বয়স যেতিয়া আঠ বছৰ হ'ল, তেতিয়া এদিন ৰজা স্বৰ্গী হ'ল। ৰাণী সেই সময়ত গৰ্ভৱতী আছিল। যথাসময়ত তেওঁৰ কন্যা এটি উপজিল। পিছে এনে কপালৰ ফেৰ, ছোৱালীজনীৰ বছৰেক নৌ-হওঁতে ৰাণীও এদিন মৰি থাকিল। ৰাণীয়ে মৰিবৰ সময়ত পুতেকক ওচৰলৈ মাতি আনি কৈছিল—'বাছা, ভাই-ভনী দুয়ো মিলি থাকিবি আৰু তোক মই আজি এটা মাত্ৰ উপদেশ দিওঁ—মনত ৰাখিবি। 'ক'ৰবাত কাৰবাক প্ৰহাৰ কৰিব লাগিলে তালৈকে জোৰেৰে প্ৰহাৰ কৰিবি; এবাৰতকৈ কিন্তু দুবাৰ কাকো প্ৰহাৰ নকৰিবি।' ইয়াকে কৈ ৰাণী মৰিল। ৰাজকোঁৱৰে মাকৰ উপদেশৰ একো অৰ্থ নুবুজিলে, কিন্তু সি তাক বেদৰ বাণীৰ দৰে মনত ৰাখিলে।

ৰজা-ৰাণী ঢুকুৱাৰ পিছত ৰাজ্যভাৰ মন্ত্ৰীৰ হাতলৈ গ'ল। ৰাজকুমাৰ আৰু ৰাজকুমাৰী দুয়োৰো দিনবোৰ দুখে-সুখে যাবলৈ ধৰিলে। ছোৱালী-জনী ডাঙৰ হৈ অহাত ককায়েক-ভনীয়েক দুয়ো সেই ৰাজ্য এৰি আন এখন ৰাজ্যলৈ গুচি গ'ল। সেই ৰাজ্যৰ ৰজা বৰ ধৰ্মবিশ্বাসী আছিল। তেওঁ ইহঁতক চিনি পাই নিজৰ সন্তানৰ দৰে মৰম কৰি ৰাখিলে।

পিছে সেই দেশত সাতোটা গজাইত চোৰ আছিল। সিহঁতক কোনেও ধৰিব নোৱাৰিছিল। সিহঁতে বহুত ধন-সম্পত্তি আনিছিল। সিহঁতৰ উৎপাতত অৎমৎ নাপাই ৰজাই সিহঁতৰ লগত সন্ধি কৰিছিল। সেই সন্ধিমতে ৰজাই সদায় সিহঁতলৈ পঠা-পাৰ, গাহৰি-চুৰুৱা আদিৰে সিধা পঠাই আছিল। যেতিয়া আজন্ম লৈ থকা ৰাজকোঁৱৰে এই কথা শুনিলে, তেতিয়া তেওঁ চোৰ মাৰিবলৈ ওলাল আৰু ৰজাক অনুমতি খুজিলে। ৰজাই সোনতে অনুমতি দিয়া নাছিল; কিন্তু ৰাজকোঁৱৰৰ অনুনয়-বিনয় এৰাব নোৱাৰি, শেষত তেওঁ যাবলৈ দিবলৈ মান্তি হ'ল।

ৰাজকুমাৰে ৰজাৰপৰা এখন তৰোৱাল আৰু এটা ঘোঁৰা খুজি ললে। ঘোঁৰাত উঠি তেওঁ চোৰবোৰৰ বাসস্থান বিচাৰি গ'ল। বহুত বিচাৰি বিচাৰি সিহঁতৰ বাসস্থান উলিয়াই তেওঁ তাৰ ওচৰতে ঘোঁৰাটো বান্ধি থলে। তেতিয়া সন্ধিয়া লাগিল। ৰাজকুমাৰে সন্ধিয়াৰ আন্ধাৰৰ ছেগ লৈ হাতত-সাৰে ভৰিত-সাৰে গৈ চোৰহঁত থকা গুহাটোৰ সন্মুখত তৰোৱাল লৈ চুপি থাকিল।

ৰাতি ৰাই-বৈ উঠি যেতিয়া ডাঙৰটো চোৰ প্ৰথমে বাহিৰলৈ ওলাল, ৰাজকুমাৰে তাক একে ঘপে কাটিলে। তাৰ পিছত দ্বিতীয়টোক কাটিলে। এইদৰে একে একে ছটা চোৰ কটা গ'ল। আটাইতকৈ সৰুটোৱে তেতিয়া ভাবিলে—ককাইদেউহঁত আজি নো গ'ল কোন ফালে? কোনেও দেখোন মাতবোলকে নকৰিলে। এই ভাবি সি অলপ সতৰ্কভাৱে ইফালে সিফালে চাই ওলাই আহিল। ৰাজকুমাৰে তৰোৱালেৰে তাক ঘপিয়ালে, কিন্তু দুখণ্ড কৰিব নোৱাৰিলে। আকৌ তৰোৱাল তুলি লৈ হঠাৎ তেওঁৰ মনত পৰিল—ডাহানি মাকে কোৱা কথা আষাৰলৈ—বোলে, টানকৈ প্ৰহাৰ কৰিবা, কিন্তু দুবাৰ প্ৰহাৰ নকৰিবা। তেওঁ সেইবাবে দ্বিতীয়বাৰ নঘপিয়ালে। চোৰটোও চুচৰি চুচৰি গৈ গুহাৰ ভিতৰ সোমাল।

তেতিয়া ৰাজকুমাৰে চোৰ থকা ঘৰটোত কাহিৰৰপৰা তলা লগাই থৈ ৰজাৰ আগত সকলো কথা কলেগৈ। ৰজাই শুনি বৰ সন্তোষ পালে আৰু ৰাজকুমাৰক তাৰে পুৰস্কাৰ হিচাপে চোৰহঁতৰ সেই ডাঙৰ গাঁওখনকে দি দিলে। ৰাজকুমাৰে সেই দিন ধৰি সেই গাঁৱত জনীয়েকেৰে সৈতে মহা-সুখে সৰু ৰজা এজনৰ দৰে থাকিবলৈ ললে।

এদিন ৰজাৰ ল'ৰাই জনীয়েকক কলে—'জনীটি, মই আজি চিকাৰলৈ যাম। মই নথকাত তুমি ইয়াত থকা সকলোবোৰে ঘৰ চাব পাৰা; কিন্তু গুহাৰ যিটো ঘৰত বাহিৰৰ পৰা তলা লগোৱা আছে সেইটো নুখুলিবা আৰু তাৰ ভিতৰলৈ নাযাবা। ঘৰবোৰ চোৱাৰ আগতে কিন্তু তুমি দাইল আৰু মাহ মিহলি কৰি থোৱা এই পাত্ৰটোৰ দাইলবোৰ বাছি উলিওৱা।' এই বুলি কৈ তেওঁ চিকাৰলৈ গ'ল। দাইল বাছোঁতে জনীয়েকৰ পুৰা এদিন লাগিল। তাৰ পিছদিনাখন ৰাজকুমাৰীয়ে ঘৰবোৰ চাবলৈ লাগি গ'ল।

ৰাজকুমাৰীয়ে ঘৰবোৰ এটা এটাকৈ চাই গ'ল। কোনোটো ঘৰত ভাল ভাল খোৱা বস্তু আছিল, কোনোটোত কুকুৰা, কোনোটোত পাহৰি, কোনোটোত গৰু-ছাগলী, কোনোটোত ধান-চাউল ইত্যাদি। এইবোৰ দেখি তেওঁৰ মন আনন্দত নাচি উঠিল। শেহত তেওঁ ভাবিলে—তলা লগোৱা ঘৰটোও চাব পাৰিলে ভাল আছিল। এই ভাবি তেওঁ সেই ঘৰটো খুলিলে। খুলি দেখে তাত এজন আহত হোৱা মানুহে কেকাব লাগিছে। তেওঁৰ সেই মানুহটো দেখি মনত দয়া আৰু কৌতূহল উপজিল। ওচৰলৈ গৈ তাক কি হৈছে সুধিলে। সি অন্য একো নকৈ কিবা-কিবি গছৰ পাত, শিপা আদি আনি তাক দিবলৈ কাকুতি কৰিলে। ৰাজকুমাৰীয়ে সি কোৱা মতে তাক বিচাৰি আনি দিলে। সি সেই ঔষধ ব্যৱহাৰ কৰি ক্ৰমে ক্ৰমে ভাল হৈ আহিল। ইফালে ৰাজকুমাৰীয়ে শুহালে গৈ তাৰ ঘা সদায় ধুই-পখালি দি তাক আকৌ ঘৰৰ ভিতৰত তলা বন্ধ কৰি থৈ আহিবলৈ ধৰিলে। এনেকৈ থাকোঁতে থাকোঁতে দুয়োকে মাজত মৰম-প্ৰীতি স্থাপন হ'ল। তেতিয়া দুয়ো দুয়োকো বিয়া কৰিবলৈ মনস্থ কৰিলে। ৰাজকুমাৰ কিন্তু তেতিয়াও চিকাৰৰপৰা ঘূৰি অহা নাই।

ধূৰ্ত্ত চোৰটোৱে তেতিয়া কলে—তোমাৰ ককায়েৰাক তুমি বধ নকৰিলে কিন্তু আমি একোপ্ৰকাৰে সুখী হ'ব নোৱাৰিম। গতিকে তুমি এটা কাম কৰিবা। যেতিয়া ককায়েৰা চিকাৰৰপৰা ঘূৰি আহে তেতিয়া তুমি বেমাৰ হোৱা ভাও জুৰি বিচনাত পৰি থাকিবা আৰু কবা বেজে কোৱা মতে তুমি বাঘৰ গাখীৰ নাখালে ভাল নোহোৱা।' ককায়েক আহিলত ভনীয়েকে ঠিক সেইমতে কাম কৰিলে। ককায়েকে তেতিয়া বেছি পৰ নৰৈ হাতত তৰোৱাল লৈ ঘোঁৰাত উঠি পুনঃ বাঘৰ গাখীৰ বিচাৰি বাহিৰ হ'ল।

গৈ গৈ তেওঁ ভাগ্যক্ৰমে হাবি এখনৰ মাজত এজনী নাহৰফুটুকী বাঘক এজোপা গছৰ ছাত বহি থকা দেখিলে। ৰাজকুমাৰ ওচৰলৈ যোৱাতো বাঘিনী আঁতৰি নগ'ল। তেতিয়া তেওঁ বাঘিনীক সুধিলে—'তোমাৰ কি হৈছে? তোক মই এতিয়া কাটিম নহয়!' বাঘিনীয়ে কলে—'কাটিলেও কাটা।' তেনেকৈ তোমাৰ হাতত মৰিব পাৰিলে ময়ো ভালেই পাওঁ। নহলৈ আৰু এই বিষ 'কিমান সহিম?' ইয়াকে কৈ আই মুখ মেলি দিলে। ৰাজকুমাৰে দেখে যে বাঘিনীৰ ডিঙিত এডাল হাড় লগালি হৈ লাগি ৰৈ

আছে। হাড়ডাল ইমান টানকৈ লাগিছে যে বাঘিনীৰ ডিঙিৰ ছাল ফুটাই বাহিৰ হব খুজিছে। তেতিয়া তেওঁ কলে—'তোক মই ভাল কৰি দিব পাৰোঁ, কিন্তু তই মোক তোৰ গাখীৰ এচুঙা দিব লাগিব।' বাঘিনী হৃষ্টমনে মান্তি হ'ল।

ৰজাৰ ল'ৰাই বাঘিনীৰ ডিঙিৰ হাড় গুচাই দিলে। বাঘিনীয়ে গাখীৰ এচুঙা দিয়াৰ উপৰিও নিজৰ পোৱালি এটা দি তেওঁৰ লগত বন্ধুত্ব পাতিলে। তেওঁ ঘোঁৰাৰ ওপৰত গাখীৰ আৰু বাঘৰ পোৱালি লৈ আহিল।

ভনীয়েকে ককায়েকৰ এনে উগ্ৰ সাহসৰ কথা শুনি আচৰিত হ'ল। পিছ দিনা ককায়েকে নেদেখাকৈ ৰাজকুমাৰী চোৰৰ ঘৰলৈ গ'ল। চোৰে সুধিলে—'ককায়েকে বাঘৰ গাখীৰ আনিলেনে?' তেওঁ কলে—'কেৱল গাখীৰেই নহয়, বাঘৰ পোৱালি এটাও আনিছে।' চোৰে শুনি বৰ ভয় পালে। সি অলপ পৰ বৈ কলে—'কটাইনাহেৰী পুখুৰীৰ পানী আনিবলৈ গলে মানুহ মৰে। তুমি ককায়েৰাক এইবাৰ কটানাহেৰী পুখুৰীৰ পানী আনি দিবলৈ কবা।'

চোৰে কোৱা মতে এইবাৰ ভনীয়েকে গৈ ককায়েকক কটানাহেৰী পুখুৰীৰ পানী আনি দিবলৈ ধৰিলে। ভনীয়েকৰ মৰম এবাৰ নোৱাৰি ককায়েক এইবাৰো গ'ল। তেওঁ হাতত তৰোৱাল লৈ ঘোঁৰাৰ ওপৰত উঠি ললে আৰু লগতে ললে বাঘৰ পোৱালিটো।

গৈ গৈ তেওঁ কটাইনাহেৰী পুখুৰীৰ ওচৰ পালে। তাতে এজোপা শাহতগছৰ তলত তেওঁ ঘোঁৰাটো বান্ধি বৈ জিৰাবলৈ ললে। তেওঁৰ তেতিয়া বৰ ভাগৰ লাগিছিল। গছৰ ছাঁত শুই ৰজাৰ পাত-নগ্ৰাত তেওঁৰ অলপ তন্দ্ৰাৰ ভাব হ'ল। এনে সময়তে এটা প্ৰকাণ্ড সাপ আহি গছ-ডালত উঠি খাবলৈ ধৰিলে। ৰজাৰ ল'ৰাই মনুষ্যকৈ পাৰ পাই সাপটো দেখি চকুৰ পচাৰতে আৰু তৰোৱালেৰে দুডুখা কৰিলে। তাৰ অলপ পিছত আৰু এটা সাপ আহিল, তাকো তেওঁ কাটিলে। তাৰে আৰু কিছুপৰ পিছত সেই গছত থকা ঐল বৰা দুটাই এবলীয়া পোৱালিকেইটাৰ কাৰণে লুখছ দিয়া এটা ভোগ লৈ থাকে জানো পাৰেনে। পোৱালিকেইটাৰে চিঞৰি পাৰি ৰাজকৰ কলে—'তুমি আমাৰ প্ৰাণ ৰক্ষা কৰিলা, যদি এনে

সৌ মানুহটোৰ কি হৈছে নোসোধা আৰু তাক বন্ধা মুকলা নকৰা তেতিয়ালৈ আমি আহাৰ নাখাওঁ। আমাক খাবলৈ অহা সাপ দুটা সি কাটি পেলাই আমাক ৰক্ষা কৰিছে।' মানুহটোক কি লাগে তাকে দি তুষ্ট কৰিব বুলি মাকে প্ৰতিজ্ঞা কৰিলত পোৱালিবোৰে আহাৰ খালে।

মাক চৰাইজনীয়ে তেতিয়া গৈ ৰাজকুমাৰক কি লাগে সুধিলে। কোঁৱৰে কলে—'কটাইনাহেৰী পুখুৰীৰ পানী নিবলৈ মই আহিছোঁ।' চৰাইজনীয়ে কলে—'সেইটো অসম্ভৱ কথা। তোমাক কোনোবাই মাৰিবলৈ ষড়যন্ত্ৰ কৰিছে। তথাপি তোমাৰ যদি সাহেপিটে কুলায় তেনেহলে সৌ ঘৰটোলৈ যোৱা। তাতে এগৰাকী জলকুঁৱৰী থাকে। তেওঁৰ অনুমতি নহলে কোনো মানুহ কটাইনাহেৰী পুখুৰীৰ ওচৰলৈকে যাব নোৱাৰে। তেওঁক তুমি তুষ্ট কৰাগৈ। তেওঁ তুষ্ট হলে তোমাৰ কাৰ্য্য-সিদ্ধি হব; নহলে নহয়।'

ৰাজকুমাৰ গ'ল আৰু জলকুঁৱৰীক প্ৰণাম জনাই সকলো কথা কলে। জলকুঁৱৰীয়ে ৰজাৰ ল'ৰাৰ বীৰত্বৰ কাহিনী শুনি আনন্দ পালে। কোঁৱৰৰ থুলন্তৰ চেহেৰা দেখি তেওঁৰ মৰম লাগিল। তেওঁ কলে—'মই বুজিছোঁ—তোমাৰ ভনীয়েৰাই তুমি নথকাত চোৰৰ ঘৰ খুলি চোৰৰ গুপুতে দিয়া সোমাইছে। সিহঁতে দুয়ো তোমাক মাৰিবলৈ এইবোৰ ফন্দি পাতিছে। কটাইনাহেৰী পুখুৰীৰ পানী নিবলৈ অহা মানুহ ঘূৰি যাব নোৱাৰে। তুমি ৰাজ বাঘৰ পোৱালিটো মোক দিয়া আৰু ইয়াতে মোৰ ঘৰত কেইদিনমান থাকা। মই তোমাক বুধি দিম। পিছে তুমি জানো মই কোৱামতে কাম কৰিব পাৰিবা?'

ৰাজকুমাৰে কলে—'তুমি মোৰ হিতৰ কাৰণেহে কৰা। গতিকে যি কোৱা তাকে কৰিম বাৰু।'

ৰাজকুমাৰ জলকুঁৱৰীৰ ঘৰত থাকিল। দুয়ো দুয়োকো বৰকৈ ভাল পাবলৈ ধৰিলে আৰু দুয়োৰো মাজত গন্ধৰ্ব-বিবাহ হ'ল। জলকুঁৱৰীয়ে কলে—'তুমি কটাইনাহেৰী পুখুৰীৰ পানী বিচাৰি যাব নালাগে। আমি এতিয়া গোপনে গৈ তোমাৰ ভনীয়েৰাই কি কৰিছে তাকে চাওঁগৈ ব'লা।' এই বুলি দুয়ো চোৰৰ গাঁৱলৈ উভতি গ'ল।

দুয়ো চোৰৰ অজানিতে সোমাই ঘৰৰ বেৰৰ জলঙাইদি চাই দেখে যে কোঁৱৰৰ ভনীয়েকে চোৰৰ লগত পিৰিয়েক—ঘৈণীয়েক পাতি আছে। দুয়ো

তাকে দেখি গুহাৰপৰা গোপনে ওলাই আহিল। জলকুঁৱৰীয়ে তেতিয়া কোঁৱৰক উপদেশ দি ক'লে—'যি লোকে তোমাৰ প্ৰাণ লবলৈ এবাৰ নহয় দুবাৰো এনেকৈ ফাং পাতে তাক হত্যা কৰাত দোষ নাই। ইহঁত দুয়োৰো তুমি যোৰ ভাঙিব নোৱাৰা। কেনেবাকৈ ভাঙিলেও যিটোৰে জীয়াই থাকে সিটোৱে তোমাৰ প্ৰাণ লবলৈ সদায় যত্ন কৰিব। গতিকে তুমি মোৰ উপদেশ শুনা। মই তোমাক কেতিয়াও অহিতকৰ উপদেশ দিদিওঁ, কাৰণ এতিয়া তোমাৰ যি হিত মোৰো সেয়ে হিত। তুমি মনটো ডাঠ কৰি লৈ দুয়োকো কাটি পেলোৱা। নহলে কিন্তু আমাৰ সৰ্ব্বনাশ হব।' ৰাজকুমাৰে কুঁৱৰীৰ কথা ঠিক যেন পালে। তেওঁ তৰোৱালেৰে দুয়োকো কাটি পেলালে। জলকুঁৱৰী আৰু ৰাজকোঁৱৰ দুয়ো তাৰ পিছত সুখেৰে দিন নিয়াবলৈ ধৰিলে।

সাউদৰ পুতেকৰ সাধু

এজনী বাৰী তিৰোতাৰ এটা ল'ৰা আছিল। ল'ৰাটো যেতিয়া ডাঙৰ হ'ল, তেতিয়া এদিন সি মাকক সুধিলে—'আই, মোৰনো পিতাই কি কাম কৰিছিল?' মাকে হুমুনিয়াহ কাঢ়ি কলে—'বাছা, তইনো সেইটো কথা সুধিলি কিয়? তোৰ পিতাৰে থকা হলে আজি আমাৰ এই দশা হয় নে? তেওঁ নাৱেৰে বেপাৰ-বণিজ কৰি বহুত ধন ঘটিছিল। তাৰেই আজিলৈকে আমি খাই আছোঁহক।'

কথা-আষাৰ কোৱাৰ লগে লগে মাকে কান্দি পেলালে। তেতিয়া পুতেকে কলে, 'তইনো কিয় কান্দিছ, আই? মই জানো এতিয়া পিতাৰ ব্যৱসায় লব নোৱাৰিম? মযো বণিজলৈ যাম আৰু পিতাৰ দৰে মযো ধন ঘটিম। তই নাকান্দিবি। টকা-সিকা যি আছে তই মোক উলিয়াই দে।'

পুতেকৰ কথাত মাকে কলে—'নহয় ময়না, তোক মই চকুৰ আঁতৰ কৰলৈ নিদিওঁ। মই জীয়াই থাকোঁমানে তোক মই খুজি-মাগি পুহিম। নহলে, তোৰো কিবা হব লাগিলে মোৰ গতি কি হব? তই যাব নালাগে, বাছা।'

পুতেকে কিন্তু নেন্বিলে। মাকক কুতুবিবলৈ ধৰিলে। মাকেও ল'ৰাৰ কাউচি এৰাব নোৱাৰি হাতত যি অলপ টকা-পইচা আছিল, তাকে উলি-য়াই দিলেহি। পুতেকে তাৰেই বেপাৰৰ কাৰণে নানা তৰহৰ বস্তু কিনি আনিলে।

বস্তবোৰ যেতিয়া গোট খালে তেতিয়া সি মাকক সেৱা-সৎকাৰ কৰি নৈত নাও মেলিবলৈ গ'ল। সি তাৰ লগত গাঁৱৰে আৰু দুজন মানুহ সহায়কাৰী হিচাপে ললে।

নৈৰে ভটীয়াই গৈ গৈ সিহঁতে এটা ঘাটত নাও বান্ধিলে আৰু তাতে ভাত পানী খাই ললে। বিধবাৰ পুতেকে তেতিয়া লগত দিয়া মানুহ দুজনক গাঁৱলৈ বস্তু বেচিবলৈ পঠিয়ালে। নিজে নাওৰখীয়া হৈ থাকিল। এইদৰে এদিন, দুদিনকৈ অনেক দিন সিহঁতে নৈৰ ওচৰৰ গাঁওবোৰত বস্তু বিক্ৰী কৰিলে। মাজে সময়ে বিধবাৰ ল'ৰাও গাঁৱলৈ যায়, কিন্তু সৰহখিনি সময় সি নাৱতে থাকে আৰু কিনা-বেচা বস্তবোৰৰ হিচাব লয়।

পিছে, সেই ঘাটৰ ওচৰতে এহাল বুঢ়া-বুঢ়ীয়ে এটি জুপুৰি পঁজা সাজি বাস কৰি আছিল। সিহঁতৰ এটা চকচকৰে বগা ধুনীয়া ৰাজ-হাঁহ আছিল। হাঁহটোৱে সদায় আহি নৈৰ পানীত সাঁতুৰি ফুৰা দেখি বাবীৰ পুতেকে ভাবে—আহা, কি ধুনীয়া হাঁহটো! ইয়াক কিনি নিব পাৰিলে বৰ বঢ়িয়া হব!

এদিনাখন সি এটা আচৰিত কাণ্ড দেখিলে। দুপৰীয়া যেতিয়া মানুহ-দুজন লকলোৱে ভাত-পানী খাই জিৰণি লৈছে, সেই সময়ত হাঁহটোৱে আহি নিজৰ পাখিখকা ছালখন সোলোকাই থলে আৰু মুহূৰ্তৰ ভিতৰতে এজনী দীপ্‌লিপ ছোৱালী হৈ নৈত গা ধুবলৈ লাগিল।

বিধবাৰ ল'ৰাই ভাবিলে—এই হয়তো মানুহ দেখিলে চক খাব পাৰে। এনেকৈ ভাবি সি নাৱৰ কুঠিৰ মাজত বহি লুকাই লুকাই ছোৱালীজনীৰ দেহ-ৰূপ চাবলৈ ধৰিলে। সি যিমানে চালে সিমানে তাৰ মনটো উলাহত

যেন নাচি উঠিল। তেনেকৈ তথা লাগি চাই থাকোঁতে থাকোঁতে কেতিয়া যে লাউংকৰে আহি ছোৱালীজনী পুনৰ হাঁহ হৈ পৰিল সি কবই নোৱাৰিলে।

ছোৱালীজনীয়ে হাঁহৰ মোট পিন্ধি লৈ বুঢ়া-বুঢ়ীৰ ঘৰ পালেহি। বিধবাৰ ল'ৰাই এইবোৰ দেখি কিবা সপোন দেখা যেনহে পালে। কিন্তু মনে মনে সঙ্কল্প কৰিলে—এই হাঁহ যেই সেই প্ৰকাৰে হাত কৰিবই লাগিব।

সেই দিনাৰেপৰা সি বুঢ়া-বুঢ়ীৰ পঁজাতে ঘনাই অহা-যোৱা কৰিবলৈ ধৰিলে। যাওঁতে বুঢ়া বুঢ়ীলৈও হাতত সোণকণ, চেনিকণ বা লাউটো, বেঙেনাটো লৈ যায়। এনে আপডালত বুঢ়া-বুঢ়ীবো তালৈ মৰম উপজিল। সিহঁতে বাৰীৰ ল'ৰাক নিজৰ পুতেকৰ দৰে বিশ্বাস কৰিবলৈ ধৰিলে।

পিছত যেতিয়া ৰণিজৰ কাৰণে নিয়া বেহানি শেষ হ'ল তেতিয়া এদিন বিধবাৰ ল'ৰা বুঢ়া-বুঢ়ীৰ ওচৰলৈ বিদায় মাগিবলৈ গ'ল। বুঢ়া-বুঢ়ীৰ বাবে ভাৰ-ভেটীও যথেষ্ট নিলে। বিধবাৰ ল'ৰা গুচি আহিবলৈ ওলোৱাত বুঢ়া-বুঢ়ীৰ মনত বৰ বেজাৰ লাগিল। কি দিম, কি দিম কৈ ভাবি থাকোঁতে বিধবাৰ ল'ৰাই কলে—'মোৰহলে তোমালোকৰ হাঁহজনীলৈ বৰ মৰম লাগিছে। এইজনী মোকে নিদিয়া কিয়?' বুঢ়া-বুঢ়ী তৎক্ষণাৎ সন্মত হ'ল, আৰু হাঁহজনী বিধবাৰ ল'ৰাক দিলে। বিধবাৰ ল'ৰায়ো বুঢ়া-বুঢ়ীক বহুত ধন-সোণ দি সেৱা-সৎকাৰ কৰি আহিল।

হাঁহ লৈ বন্ধু দুজনৰে লৈতে নাৱত আহি বিধবাৰ ল'ৰা যথা সময়ত ঘৰ পালেহি। বহুত দিনৰ মূৰত পুতেকক পাই বিধবাৰ যে সেইদিনা মনত কিমান আনন্দ! পুতেকৰ মনতো সেই একে ধৰণৰ আনন্দৰ ধমক উঠিল। সেই উলাহতে দুয়ো ওচৰ চুবুৰীয়াসকলক এদিন ভালকৈ ভোজ-ভাত খুৱাই দিলে।

পিছে, কথাতে কয় যোলে, দাতাই দিলেও বিধাতাই নিদিয়ে। বিধবা আৰু পুতেকৰ মনৰ আনন্দ সৰহ দিন স্থায়ী নহ'ল। বিধবাৰ ল'ৰাৰ কিবা হ'ল। লাহে লাহে সি কথা-বতৰা নপতা হ'ল। দুডে যথা ৰাজ্য-জৰ দৰে সি অকলে অকলে কিবাকিবিবোৰ কৈ ঘূৰি ফুৰিবলৈ ধৰিলে। সি নিজৰ নখ-চুলি আহিৰ যত্ন লবলৈ এৰিলে। নখ-চুলি বাঢ়ি গৈ সেই-

বোৰে তাক তেনেই আপচু কৰি তুলিলে। তাৰ অৱস্থা দেখি দুখ আৰু চিন্তাত মাকৰ পেটলৈ ভাত নোযোৱা হ'ল।

সেই গাৱঁতে এজনী বুঢ়ী মানুহ আছিল। তাইক সকলোৱে 'জ্ঞানী বুঢ়ী' বুলি মাতিছিল; কাৰণ তাই বহুত কথা জানিছিল। বিধবা গৈ বুঢ়ীৰ ওচৰ চাপিল।

জ্ঞানী বুঢ়ীয়ে সকলো কথাৰ আঁতি-গুৰি লৈ বিধৱাক কলে—'তুমি চিন্তা নকৰিবা। তোমাৰ ল'ৰাৰ কি বেমাৰ হৈছে মই তাক বন্ধ কৰি বাহিৰ কৰিম।' এই বুলি কৈ গাঁৱৰে এজনী লচপচীয়া গাভৰুক মতাই আনি জ্ঞানী বুঢ়ীয়ে ফুচফুচাই কিবা শিকাই দিলে আৰু বিধবাৰ ল'ৰাৰ সদায় গাত হাত বুলাই মৰম কৰি মুৰ ফণিয়াই দিবলৈ কলে। গাভৰুৱেও বুঢ়ীৰ উপদেশ মতে কাম কৰিলে।

এদিনৰ কথা। গাভৰুৱেও বিধবাৰ ল'ৰাৰ মূৰত হাত বুলাই থাকি উচুপি উচুপি কান্দিবলৈ ধৰিলে। সেই কান্দোনত তাইৰ চকুলো আহি বিধবাৰ পুতেকৰ মূৰত পৰিল! সি সপোন দেখাৰ দৰে উচপ খাই উঠিল আৰু গাভৰুক মৰমেৰে সুধিলে—'তোমাৰ কি হৈছে?'

গাভৰুৱে পোনতে একো উত্তৰ দিয়া নাছিল; কিন্তু বিধবাৰ পুতেকে নেৰানেপেৰাকৈ ধৰাত কলে—'তোমাক এনেকৈ খীণাই যোৱা দেখি মোৰ মনটোৱে কিয় জানো কান্দি উঠিছে! তোমাৰ কি হৈছে মোক কব লাগে, নহলে মই কান্দি কান্দিয়ে মৰিম।'

কথা শুনি বিধবাৰ পুতেকে ভাবিলে—আয়ে দেই! মোৰ কাৰণে বেচেৰীৰ ইমান মৰম! এই ভাবি সি, কলে—'বণিজকৈ যাওঁতে মই এজনী হাঁহ আনিলোঁ। তাই এদিন মায়া ধৰি ছোৱালী এজনী হৈছিল; তাৰ পাছত আকৌ হাঁহ হৈছিল। মই ভাবিছিলোঁ কেতিয়াবা আকৌ ছোৱালী হলে মই তাইক বিয়া কৰিম। পিছে, তাই এতিয়া মায়া নধৰা হ'ল। যি ৰাজহাঁহ সেই ৰাজহাঁহেই হৈ আছে। সেই বাবেই মোৰ মনত দুখ।'

ইয়াকে শুনি গাভৰুই সেইদিনা গিয়ানতে সাউদৰ পুতেকৰ লগ এৰি ঘৰলৈ গ'ল আৰু জ্ঞানী বুঢ়ীৰ আগত সকলো কথা বিবৰি কলেগৈ। জ্ঞানী বুঢ়ীয়ে তেতিয়া সাউদৰ পুতেকৰ ওচৰলৈ আহি কলে—'বোপাই, তুমি চিন্তা নকৰিবা। মায়া-কয়াক মই আনি দিম। তুমি মাত্ৰ এটা

কাম কৰিবা। 'আজি নিশা টোপনি যোৱা ভাও ধৰি বিচনাত পৰি থাকিবা। হাঁহজনীকো তোমাৰ কোঠালীতে ৰাখিবা। ওচৰতে একুৰা তুঁহৰ জুই ৰাখিবা। মাজ নিশা হাঁহজনীয়ে নিশ্চয় নিজৰ ৰূপ এৰি গাভৰু হৈ তাইৰ হাঁহৰ ছালখন এৰি গাভৰু হৈ তাইৰ নিজৰ ইষ্ট-দেৱতাক পূজা কৰিব। তেতিয়া তুমি হাতত-সাৱে ভৰিত সাৱে গৈ তাইৰ হাঁহৰ ছালখন তুঁহৰ জুইত পুৰি পেলাবা। তাকে কৰিলে তাই পুনঃ হাঁহ হ'ব নোৱাৰে; তেতিয়া তুমি তাইক বিয়া কৰাব পাৰিবা।'

বিধবাৰ ল'ৰাই সেইদিনা বাতি জ্ঞানী বুঢ়ীৰ কথা মতে কাম কৰিলে। টোপনি যোৱা ভাও ধৰি সি বিচনাত শুই থাকিল। হাঁহজনীকো নিজৰ কোঠালীতে ৰাখিলে। তুঁহৰ জুয়ো ধৰি থলে।

ৰাতি যেতিয়া গভীৰ হৈ আহিল বাঁৰীৰ পুতেকে তেতিয়া ঘোৰ টোপনি অহাৰ ভাও ধৰি নাকেৰে শব্দ কৰিবলৈ ধৰিলে। এই বেগতে হাঁহজনীয়ে নিজৰ মোটটো সোলোকাই থলে আৰু ধুনীয়া গাভৰু এজনী হৈ কোঠালিটোৰ এটা চুকত বহি একাগ্ৰমনে পূজা কৰিবলৈ ধৰিলে।

সাউদৰ পুতেকে তেতিয়া জ্ঞানী বুঢ়ীৰ উপদেশমতে চোৰ যোৱাৰ দৰে গৈ লাহেকৈ হাঁহৰ মোটটো তুঁহৰ জুইত পেলাই দিলে। যেতিয়া হাঁহৰ পাখি পোৰা বাচ ওলাল তেতিয়া মায়া কন্যাই পূজা এৰি দৌৰ দিলে; ইফালে সিফালে চাই তাই দেখিলে যে তাইৰ হাঁহৰ ছাল পুৰি ভস্মসাৎ হ'ল। তাই চিঞৰি কৈ উঠিল—'হায় তুমি মোৰ সৰ্ব্বনাশ কৰিলা। মই সমূলঞ্চে মৰিলোঁ!' —এই বুলি তাই কপ লত্ত ভুকুৰাই কান্দি মাটিত বাগৰি পৰিল।

বিধবাৰ ল'ৰাই তেতিয়া গাভৰুক বিচনাত শুৱাই লৈ মূৰত তেলপানী এৰি বিচিবলৈ ধৰিলে। কিছুপৰ এইদৰে থকাৰ পাছত গাভৰুৰ গাত চেতনা আহিল। ইফালে ৰাতিও পুৱাই আহিল। তাই চকু মেলি চাই সাউদৰ পুতেকক দেখিলে। তাইক তেনেকৈ যতম কৰা দেখি তাৰ প্ৰতিও তাইৰ মৰম লাগিল। তেতিয়া তাই অন্য গতি নেদেখি সাউদৰ পুতেকৰ হাতত ধৰি জুয়োৰো বিয়া পাতিবলৈয়ে কলে। দুয়ো হাতত ধৰা-ধৰিকৈয়ে বিয়া পাতিলে। ৰাতিৰ ভিতৰতে বিয়া হৈ গ'ল।

পিছদিনা গাঁৱত প্ৰচাৰ হ'ল যে বিধবাৰ লবাই অপৰা বিয়া কৰাই আনিলে। খবৰটো বিয়পি পৰাৰ লগে লগে কইনা চাবলৈ অহা মানুহৰ ভিৰত বাট-পথ, আলি-পদূলি, ঘৰ-দুৱাৰ ভেলেই হুলস্থুল্‌, হেন্দোলদোপ্‌ লাগিল।

সেইদিনা বিধবাৰ আনন্দ চায় কোনে!

বিধাতাৰ লিখন

সত্য যুগৰ কথা। এখন ৰাজ্যত এজনী বিধবা আছিল। তেওঁৰ এটা মাত্ৰ পুতেক আছিল। বিয়াৰ এবছৰ পিছতে গৰ্ভত এই সন্তানটো এৰি তেওঁৰ স্বামীয়ে ইহলোক ত্যাগ কৰিছিল। গিৰিয়েক ঢুকুৱাত বিধবাজনীৰ আলৈ-আহুকালৰ সীমা নাইকিয়া হ'ল।

সত্য কালত আকৌ মানুহৰ অন্তৰত দয়া-মায়া বেছি আছিল। সেই কাৰণে গাঁৱৰ মানুহখিলাকে বিধবাক ইটো-সিটোৰে সহায় কৰি গাঁৱতে ৰাখিছিল। বিধবাৰ ল'ৰা লাহে লাহে ডাঙৰ হৈ আহিল। মাকে তাক খুজি-মাগি খুৱাই ডাঙৰ-দীঘল কৰিলে। সি এবছৰ দুবছৰকৈ দহ বছৰত ভৰি দিলে। আচৰিত কথা এই যে বয়সত দহ বছৰ হ'ল যদিও বিধবাৰ ল'ৰা কিন্তু বাওনা হৈয়ে থাকিল। গাঁৱৰ মানুহবোৰে তাৰ নাম থলে কুঁটীয়া। কুঁটীয়াৰ নাকটো আছিল চেপেটা, কৰণটো কেটকেট কৰে ক'লা। সেইবাবে কুঁটীয়াক গাঁও ভূঁইৰ কোনেও বৰ বেছি আতো পুতো নকৰিছিল। মাকৰ মানত কিন্তু সিয়ে আছিল এটা অমূল্য ৰতন। কোনো মানুহে কুঁটীয়াক মৰমৰ মাত একাষাৰকে নিদিয়া দেখি তাক যৰতে অকলে এৰি ভিক্ষা কৰিবলৈ অকলে যায়। কুঁটীয়াই বেজাৰ মনেৰে ঘৰ ৰখে আৰু মাকৰ কাৰণে কেতিয়াবা কেতিয়াবা ৰন্ধা-বঢ়া কৰে। এইদৰে দুখে-সুখে দিনবোৰ অতিবাহিত হবলৈ ধৰিলে।

এদিন মাক গৈছিল ভিক্ষা কৰিবলৈ, কঁটীয়া আছিল ঘৰত। সৰু ল'ৰা কঁটীয়া অতি চঞ্চল প্ৰকৃতিৰ আছিল। সি এখন্তেকো সুস্থিৰে বহি থাকিব নোৱাৰিছিল। সি সেইদিনা গৈ বাটৰ কাষত ঘাঁহ খাই চৰি থকা ঘোঁৰা এটা দেখি তাৰ নেজকোচাতে খামোচ মাৰি ধৰিলে। ঘোঁৰাই চক খাই পোনেই লাঠি মাৰি দিলে আৰু তাৰে বলত কঁটীয়াৰ ওপৰৰ পাৰি দাঁতৰ আধা-আধি ভাগি তাক শোলা-মুৰা কৰিলে। এনেই কুৰূপ কঁটীয়া, এতিয়া আগদাঁত ভগাত সি আৰু বেছি কুৎচিত দেখা হ'ল। মানুহত বাহিৰে কাৰো এতিয়া সি আকৰ্ষণৰ বস্তু নহৈ বিকৰ্ষণৰহে বস্তু হৈ পৰিল।

কঁটীয়াৰ বয়স তেতিয়া সোল বছৰ। এদিন মাকে আগে-পিছেৰ ঘৰে কঁটীয়াক ঘৰত এৰি এখন দূৰৰ গাঁৱলৈ ভিক্ষা মাগিবলৈ গৈছিল। যাবৰ সময়ত তেওঁ পুতেকক ভাত-পানী বান্ধি খবলৈ দিহা দি গৈছিল। কঁটীয়া কুৎচিত আছিল যদিও কিন্তু বৰ সৎ চৰিত্ৰৰ আছিল। মাকৰ বাক্য সি কেতিয়াও নেপেলাইছিল। বহুত দিন আগৰপৰা তাৰ মনটোত মাছ খাবলৈ বৰ ডাঙৰ হেপাহ হৈ আছিল। সেই-দিনা মাক গাঁৱলৈ যাবৰ সময়ত সি সুধিলে -'আই, মোৰ মাছ খাবলৈ বৰ মন গৈছে। আজি

পোহাৰী আহিলে মাছ ৰাখিম দেই।'

কথা শুনি মাকে চকুপানী মচি কলে—'বাছা, 'গাঁঠিত নাই ধনটো, বৰ সবাহলৈ মনটো' কৰিলে কি হব? আজি আমাৰ চকত বহাবলৈকে চাউল এমুঠি নাই; মাগি আনিলেহে পেটত ভাত পৰিব, তই কিহেৰে মাছ কিনিবি? তোক এই দুখুনীৰ গৰ্ভতে এৰি যেতিয়া তোৰ পিতাৰে স্বৰ্গী হ'ল, তেতিয়াই তোৰ কপাল পুৰিছে। সুখ-ভোগলৈ আশা কৰিলে—বিধাতাই আমাক জানো দিব? সেই দেখিয়ে কয় বোলে—মনে খোজে ৰজা হব, বিধাতাই নিদিয়ে খুজি খাব। আমাৰ ভাগ্যত সেয়ে হৈছে। এতিকে আশা এৰ বাছা।'

মাকৰ কথা শুনি কঁটীয়াই পুনৰ কলে—'আই, তুমি মোক বেয়া নাপাবা। মই এটা কথা কওঁ—শুনা। আজি আমি মাগি অনা চাউলৰ আধাৰে এসাঁজ ভাত খাম আৰু বাকী আধাৰে মাছ কিনিম। এসাঁজ উপবাসে থাকিলেই হব! এসাঁজ নাখালে আমি জানো মৰিম?

পুতেকৰ ইচ্ছাত বাধা নিদি বিধবাই 'বাক বোপাই, যি ভাল দেখা কৰ'—বুলি কৈ ভিক্ষালৈ গ'ল। এনেতে এজনী পোহাৰীয়ে এটা পাচিত মাছ লৈ আহিল। কঁটীয়াই পোহোৰীক মাতি আনিলে আৰু বৰ মোলা-য়াম কথাৰে কলে, 'মাহীদেউ, মাহীদেউ, আমাৰ আজি মাছ খাবলৈ বৰ মন গৈছে। ইফালে, তোমাক কৈছোঁ, হাতত হলে এটা ফুটা কড়িও নাই। চাউল দিবলৈও সম্প্ৰতি চাউলো নাই। তুমি আমাৰ কথা জানাই। আই চাউল মাগিবলৈ গৈছে। তেওঁ আহিলে তোমাক চাউল দিম; তুমি এতিয়া মোক কেই গণ্ডামান খলিহনা মাছ দিয়া।'

পোহাৰীয়ে কলে—'বোপাই দিয়াটো একো টান নাছিল; পিছে আজি-কালি আমি বাকীৰ বেপাৰ এৰি দিছোঁ। আজি তুমি মাছ ৰাখিব নালাগে; কালিলৈ নগদ দাম দি মাছ ৰাখিবি, লাগিলে তোক মই চাৰিটা মাছ এনেয়ে দি যাম।' কঁটীয়াই চকুপানী টুকি পোহাৰীক মাছৰ বাবে পুনঃ কুতুৰিবলৈ ধৰিলে। অগত্যা এবাৰ নোৱাৰি পোহাৰীয়ে তেতিয়া কঁটীয়াক তিনি গণ্ডা খলিহা মাছ দি কলে—'বোপা, ল এই মাছ। কিন্তু এটা কথা। মই গাঁৱৰ সিমূৰৰ পৰা ঘূৰি আহোঁতে তই মোৰ পাৱনিখিনি দিব লাগিব।' পোহাৰী ইয়াকে কৈ গুচি গ'ল। কঁটীয়াই মাছকেইটা বাছি থুই উলিয়ালে।

কঁটীয়াই এতিয়া মাছ ভাজিবলৈ তেল পায় ক'ত? গতিকে সি মাছ-কেইটা পুৰণি শোকোতাৰে সৈতে খাৰত জাল দিলে। তেতিয়া বেলি প্ৰায় ভাটী দিলে। ভাত ৰান্ধিবলৈ চাউল এটিও নাই। ইফালে কঁটীয়াৰ মাকো এতেবেলি ভিক্ষা কৰি ঘৰলৈ ওভতা নাই। চাওঁতে চাওঁতে কঁটীয়াই মাকলৈ বাট চাওঁতে পোহাৰী ঘূৰি আহি পালেহি। পোহাৰীক দেখি কঁটীয়াৰ ভয়ঙ্কৰ চিন্তা হ'ল। পোহাৰীয়ে আহি চাউল নাপাই মাছ কেইটাকে ওভোতাই দিবলৈ কঁটীয়াক কলে। কথা শুনি কঁটীয়াই কান্দি কান্দি কলে, 'মাহীদেউ, মাছ তোমাক ঘূৰাই দিম কেনেকৈ? মই সেই মাছ কেইটা শোকোতাৰে ৰান্ধিয়ে পেলালোঁ। আৰু খন্তেক অপেক্ষা কৰা—আই এতিয়াই চাউল লৈ পাবহি।' পোহাৰীয়ে কথা শুনি কিছুপৰ অপেক্ষা কৰিলে; কিন্তু তেতিয়াও বিধবাক নহা দেখি বন্ধা মাছকে ঘূৰাই নিবলৈ ওলাল।

এনেতে আউলি-বাউলি চুলিৰে লৰি-ঢাপৰি বিধবা ঘৰ সোমালহি। সেই-দিনা আকৌ এনেহে কপালৰ ফেৰ—বিধবাই ক'তো এটা খুদ-কণো নাপালে।

চাউল নাপাই পোহাৰীয়ে বৰা মাছকে যুৰাই দিবলৈ কলে। উপায় নাপাই কঁটীয়া আৰু মাকে বিধৱাক বৰা মাছকে যুৰাই দিবলৈ বাধ্য হ'ল। দুয়ো সেইদিনা উপবাস কৰিলে। শুদা পেটে থাকি দুয়ো কপালত ভুকুৱাই আৰেমানে কান্দিলে। ৰাতিও দুয়ো ভোকে-লঘোনে দাঁতত দাঁতৰি পৰি থাকিল।

পিছদিনা পুৱাই কঁটীয়াই উঠি মাকক সেৱা এটি কৰি কলে, 'আই, তুমি খুজি-মাগি খাই থাকা; মই আজি বিধাতাৰ ওচৰলৈ যাওঁ। মোৰ নো কপালত বিধাতাই কি লেখিছে সুধি আহোঁ!' পুতেকৰ কথা শুনি বিধৱা আচৰিত হ'ল আৰু কলে 'বা'ছা, তই বিধাতাক ক'ত বিচাৰি পাবি? তেওঁৰ স্বৰ্গ, মৰ্ত্ত্য, পাতাল—তিনিও ভুৱনতে গতি। মিছা আশা এৰি পেলা বাছা।' কঁটীয়া মাকৰ কথাত মান্তি নহ'ল। তাক এৰি দিবলৈ সি বাৰে বাৰে মাকক খাটিবলৈ ধৰিলে। মাকেও এৰি নিদিয়ে, কঁটীয়াও নেৰে। অগত্যা এৰাব নোৱাৰি অৱশেষত বিধৱাই কঁটীয়াক চুমা খাই বিদায় দিলে। কঁটীয়াই মাকক তিনিবাৰ সেৱা কৰি শুভ দিনত ঘৰৰপৰা যাত্ৰা কৰিলে। নানা প্ৰকাৰৰ চিন্তাত ব্যাকুল হৈ কঁটীয়া তিনি দিন জিৰণি নোলোৱাকৈ গৈ থাকিল। হাবিৰ ফল মূলেই হ'ল তাৰ আহাৰ।

এইদৰে গৈ গৈ কঁটীয়াই এখন অটব্য অৰণ্য পালে। তাত সোমাওঁতে তাৰ কিন্তু ভয় নালাগিল। সি ভাবিলে, ঘৰত খাব নাপাই মৰাতকৈ হাবিৰ জন্তুৰ আহাৰ হোৱাও ভাল। সি মনে মনে ঈশ্বৰৰ ওচৰত নিজৰ কপালৰ দুখৰ কথা নিবেদন কৰিবলৈ ধৰিলে। কিন্তু ঈশ্বৰ তাৰ প্ৰাৰ্থনা শুনিবলৈ জানো নামি আহিব? গৈ গৈ এঠাইত কঁটীয়াই দুটা বনৰীয়া ম'হে যুঁজ কৰি থকা দেখিলে। সিহঁত কিমান দিনৰপৰা আহাৰ-পানীৰ আশা এৰি যুজত লাগি আছে ঠিকনা নাই। আৰু যে কিমান দিন সেই-দৰে যুঁজ কৰি থাকিব তাকো কোৱা নাযায়। কঁটীয়া গৈ ম'হ দুটাৰ ওচৰ পালতে সিহঁতে যুঁজিব এৰি কঁটীয়াক সুধিলে—'হেৰ মানুহটো! তোমাক কি লাগে? কিয় মৰিবলৈ আহিছা?' কঁটীয়াই নম্ৰভাৱে তাৰ দুখৰ 'সকলো কথা কলে আৰু লগতে কলে যে সি বিধাতাৰ ওচৰলৈ যাব।' কথা শুনি ম'হ দুটাই কঁটীয়াক সিহঁতৰ ভাগ্যত নো কি লেখা আছে আৰু কেতিয়ালৈ যুঁজখন সিহঁতৰ ভাঙিব বিধাতাক সুধি আহিবলৈ কলে। তাকে শুনি

কঁটীয়া আপোন বাটেদি গ'ল, ম'হ দুটায়ো পুনঃ যুঁজ আৰম্ভ কৰিলে।

কঁটীয়া গৈ এইবাৰ এডাল আচৰিত আমগছৰ ওচৰত উপস্থিত হ'ল। গছডাললত নিতৌ পাত ডাল নেদেখা হৈ গোখায় আৰু দিনটোতে পকি সৰি যায়। তাকে দেখি গছডালৰ মনত বৰ অশান্তি। সেই চিন্তাতে গছডাল যেন অকালতে বুঢ়া হৈ গৈছে। কঁটীয়া গৈ দুপৰীয়া ব'হত তাৰ তলত বহিলত গছজোপাই কঁটীয়া ক'লৈ যায় সুধিলে। কঁটীয়াই সকলো কথা ভাঙি-পাতি ক'লত গছঁজোপাই তাৰো কপালত বিধাতাই নো কি লেখিছে সুধি আহিবলৈ কলে। কঁটীয়াই 'বাৰু' বুলি কৈ পুনৰ খোজ ললে।

এইবাৰ গৈ গৈ সি এখন শ্মশান পালে। শ্মশানখনত এটা মৰা মানুহৰ মূৰে অহৰহ খিলখিলকৈ হাঁহি আছিল। কঁটীয়াক দেখি মূৰটোৱে মাত লগালে, 'হেৰা বোপা, তুমি কি বিচাৰি আহিছা? ক'লৈ যাবা? চাওঁ—ইফালে আহাচোন! ভয় নকৰিবা। ময়ো তোমাৰ দৰেই জীয়া মানুহ আছিলোঁ। কিন্তু কিবা দুৰ্ভাগ্যৰ হেতুকে মৃত্যুৰ পিছতো মই মুক্তি লাভ কৰিব পৰা নাই। মই, বোপাই, সৰ্ব্বজ্ঞ আছিলোঁ। সেইবাবে যদি চাই মই এতিয়া জানিব পাৰিছোঁ—তুমি বিধাতাৰ ওচৰলৈ যাব ওলাইছা—নহয়নে? যোৱা বাৰু, তুমি তেওঁক বহুত কষ্টৰ মূৰত পাবা। পালে কিন্তু মোৰ কপালত নো আৰু কি লিখা আছে আৰু মোৰ নো এই দুখৰ শেষ পৰিব কেতিয়া তাকে সুধি আহিবা। মই সৰ্ব্বজ্ঞান হৈও মোৰ কপালৰ লিখনটো হলে পঢ়িব নোৱাৰো। বিধাতাই সেই লিখাটো কাকো শিকোৱা নাই।' কঁটীয়াই নৰ-মুণ্ডটোৰ কথাবোৰ শুনি লৈ তাক হাত-যোৰ কৰি প্ৰণাম জনাই 'ভাল বাৰু' বুলি বিদায় ললে।

কঁটীয়া গৈয়ে থাকিল। ইবাৰ সি এখন ডাঙৰ নৈ পালে। নৈখন বৰ বহল। বৰ দ। শিহু-ঘৰিয়াল তাত অলেখ আছে। পাৰ হবলৈ কোনো উপায় নাই। সি ভাবি চিন্তি নৈৰ পাৰতে বহিল। এনেতে নৈখনৰপৰা এটা বিৰাটকায় কুম্ভীৰ উঠি আহি কঁটীয়াক কলে—'হেৰা মানুহ, তুমি ক'লৈ যাবা? নৈ পাৰ হবলৈ হলে কিন্তু মোৰ সহায় নহলে নোৱাৰিবা।' কঁটীয়াই নিজৰ জীৱনৰ দুখৰ সকলো কথা এবে এবে কুম্ভীৰক কলে। লগতে সি নিজৰ গন্তব্য স্থানৰ কথাও কৈ গ'ল। কুম্ভীৰটোৱে কলে—'ভাই মই কোনো দিনে পানীৰ তললৈ যাব নোৱাৰোঁ। ...' ভাবি

থাকিব লাগে। মোৰ কপালতনো বিধাতাই কি লেখিছে তুমি বাৰু সুধি আহিবাচোন।' ইয়াকে কৈ কুম্ভীৰটোৱে কঁটীয়াক নৈখন পাৰ কৰি দিলে।

কঁটীয়া পুনৰ যাবলৈ লাগিল। গৈ গৈ সি বিধাতাৰ ওচৰ পালে। দেখে যে বিধাতাই মূৰ-গাই এখন কাপোৰ মেৰিয়াই ওচৰত পাঁজি-পুথিৰ টোপোলা আৰু দোৱাত-কলমযোৰা লৈ বহি আছে; সি গৈ বিধাতাৰ ঠেঙত দীঘল দি পৰি নিজৰ বিলাই-বিপত্তিৰ কথা বিধাতাক ভাঙি কলে। তাৰ বন্ধা মাছ কেনেকৈ পোহাৰীয়ে কাঢ়ি নিলে তাকো কলে। কৈ কৈ সি কান্দিবলৈ ধৰিলে—কপালৰ লিখনৰ কথা সুধিবলৈয়ে পাহৰিলে। তেতিয়া বিধাতাই কঁটীয়াৰ মূৰত হাত দি কলে - 'বোপা, তই নাকান্দিবি। তোৰ দুখৰ ওৰ পৰিল। ইমান দিনলৈ তোৰ কপালত মই দুখ লেখিছিলোঁ। ইয়াৰ পিছত তই বহুত ধন, সোণ, ৰাজকন্যা, ৰাজ্য আদি লাভ কৰিবি। ৰাজকন্যাও এজনী নহয়, দুজনী বিয়া কৰিব পাৰিবি। ৰাজ্যও দুখন পাবি।'

পিছত কঁটীয়াই এটা এটাকৈ বাটৰ ঘটনাবোৰ বৰ্ণালে আৰু কাৰ কপালত বিধাতাই কি লেখিছে সুধিলে। বিধাতাই তেতিয়া কলে— 'কুম্ভীৰটোৱে একালত এটা ৰাজকন্যাক গ্ৰাস কৰিছিল। সেই কন্যা তাৰ প্ৰকাণ্ড পেটটোৰ এটা মোনাত এতিয়াও আছে। সি যদি ৰাজকন্যাক এতিয়াও বতিয়াই উলিয়াই দিয়ে তেনেহলে সি পানীৰ তললৈ যাব পাৰিব। আৰু সেই মৰা মানুহৰ মূৰটো এটা বেজৰ মূৰ। তেওঁ বহুত গুণ-মন্ত্ৰ আদি জানিছিল। মৰিবৰ সময়লৈকে সেইবোৰ সি কাকো নিশিকালে। সেই বাবে তাৰ তেনে দশা হৈছে। সি এতিয়াও সেইবোৰ জানে আৰু আনক শিকালে মুক্তি পাব' আৰু, যি আম-গছজোপাৰ কথা কলা— তাৰ দক্ষিণ দিশৰ শিপাৰ স্থলতে এথালী দেও-লগা টকা আছে। সেই-বোৰ খান্দি নিলেহে আমজোপা ভাল হব। আকৌ সেই ম'হ দুটা যে দেখিছিলা—সিহঁতে এজোপা গছৰ ওচৰত সেইদৰে যুঁজ কৰি থাকে। সেই জোপা গছৰ তলতো এথালী দেও-লগা সোণ আছে। সেইবোৰ উলিয়াই দূৰ কৰিলেহে সিহঁতৰ যুঁজখন ভাগিব।' ইয়াকে শুনি বিধাতাক নমস্কাৰ কৰি কঁটীয়া তেতিয়া ঘৰলৈ উভতিল।

কঁটীয়াই উভতি আহি বাটত প্ৰথমে কুম্ভীৰটোক পালে। কুম্ভীৰক সি সকলো খবৰ দিলত কুম্ভীৰে তাৰ চকুৰ আগতে পেটৰপৰা বস্তিয়াই ৰাজ-কন্যাক উলিয়াই দিলে। তাৰ পিছত কুম্ভীৰ পানীৰ তলতৈ বাব পৰা হ'ল।

কঁটীয়াই ৰাজকন্যাৰ পৰিচয় ললে আৰু তেওঁক পিতাকৰ ঘৰলৈ লৈ গ'ল। ৰজাই নিজৰ হেৰোৱা কন্যাক সেইদৰে পাই হাতত স্বৰ্গ চুকি পোৱা দিলে? বিশেষকৈ অ'কো সেই ৰজাৰ সেই কন্যাজনীত বাহিৰে আৰু অন্য একো সন্তান নাছিল। ৰজাই কঁটীয়াৰ ব্যৱহাৰত ইমান ভাল পালে যে তেওঁ জীয়েকক তেওঁলৈ তেতিয়াই বিয়া দি দিলে। বিয়াত ৰজাই বহুত লগুৱা লিক্‌চৌ, ধন-সোণ, হাতী-ঘোঁৰা আদিও যৌতুক দিলে। বিয়াৰ পিছত মহাআড়ম্বৰে কঁটীয়াক নিজৰ ঘৰলৈ পঠোৱা হ'ল। ৰজাই এইটোও কৈ পঠালে যে মাকক লগত লৈ কঁটীয়া পুনঃ তেওঁৰ ৰাজ্যলৈ উভতি আহিব লাগিব আৰু তেতিয়া ৰজাই তেওঁকে ৰাজ্যভাৰ দিব। জীয়েক ৰজাৰ লগতে থাকিল।

সদলবলে আহি কঁটীয়াই এইবাৰ সেই শ্মশানত থকা মানুহৰ হাহি-থকা মূৰটো লগ পালে। তেওঁ তাক বিধাতাৰ বাতৰি দিলে। মূৰটোৱে তেতিয়া সি জনা গুণ-মন্ত্ৰ আদি সোপাকে কঁটীয়াক শিকাই দিলে আৰু মুক্তি লাভ কৰিলে।

তাৰ পিছত কঁটীয়া গৈ আমগছ জোপাৰ ওচৰ পালে। আমগছজোপা বিধাতাৰ লিখন সম্পৰ্কে কোৱা হ'ল। আমগছে তেতিয়া বৰকৈ অনুৰোধ কৰাত কঁটীয়াৰ লগুৱা-লিকচৌবোৰে আমগছৰ শিপাৰ তলত থকা টকাবোৰ উলিয়ালে আৰু কঁটীয়াৰ আদেশত সেইবোৰ তাৰ বান্ধি ললে। এইদৰে গৈ ম'হৰ যুঁজ লগা গছজোপাৰ তলৰ পৰাও সোণৰ থালীটো উলিওৱা হ'ল। কঁটীয়াই সেইবোৰ লগুৱাবোৰৰ কান্ধত তাৰ বান্ধি দি লগে লগে লৈ গ'ল।

কঁটীয়া এতিয়াও গৈ ঘৰ পোৱা নাই। এদিনমানৰ বাট বাকী আছে। পিছে সেই দিনা সেই দেশৰ ৰজাৰ জীয়েক চন্দ্ৰাৱলীৰ বিয়া। ৰজাৰ নাম আছিল চন্দ্ৰধৰ। দৈৱজ্ঞসকলে গণনা কৰি ৰজাক কৈছিল যে চন্দ্ৰা-ৱলীৰ বিয়া হব এজনী বিধবাৰ পুতেকৰ লগত। ৰজাই সেই কথাত

মৰ্মাহত হৈ দৈৱজ্ঞসকলক বিয়াৰ দিনটো মাত্ৰ চাই দিবলৈ কলে। দৈৱজ্ঞ সকলে দিন ঠিক কৰি দিয়া মতে বিয়াৰ ঠিক কৰা হ'ল। দৈৱজ্ঞসকলে এক মুখে কলে যে সেইদিনা যদি ৰাজকন্যা চন্দ্ৰাৱলীৰ বিয়া নহয় তেনে-হলে তেওঁ চিৰকুমাৰী হৈ থাকিব। ৰজাই অন্য এখন দেশৰ ৰাজকোঁৱৰৰ লগত সেই দিনতে বিয়াৰ ঠিক কৰিলে। বিয়াৰ দিন। ৰাতি এনে ধুমুহা-বতাহ-বৰষুণ হ'ল যে দৰা'ঘৰৰ পৰা দৰা ওলাই আহি বাট হেৰুৱাই অন্য কোনোবা দেশ পালেগৈ। ইফালে ৰাতি প্ৰায় পুৱাও পুৱাও হ'ল। ৰজাই পুনঃ দৈৱজ্ঞক গণনা কৰিবলৈ কলে। দৈৱজ্ঞই কলে যে ৰাজকন্যাৰ দৰা ওচৰতে আছে। পুৱতিনিশা তেওঁ বাটে বাটে সদলবলে আহিব লাগিছে। তেওঁক আনি বিয়াত নবহুৱালে ৰাজকন্যাই আৰু অন্য দৰা পাব নোৱাৰে।

দৈৱজ্ঞই আগতে যিবোৰ কথা কৈছিল সেইবোৰ আখৰে আখৰে ফলিছিল। ৰজাই সেইবাবে দৈৱজ্ঞৰ কথামতেই কাম কৰিবলৈ আলিবাটলৈ দৰা চাবলৈ মানুহ পঠালে। ৰজাৰ মানুহে গৈ ৰাজকন্যাক বিয়া কৰাই এৰি অহা কঁটীয়াক সদলবলে যোৱা দেখিবলৈ পালে। সিহঁতে কঁটীয়াক জোৰ-জবৰ কৰি আনি ৰজাৰ আগত দিলেহি। ৰজায়ো কঁটীয়াৰ কোনো কথালৈকে কাণ নকৰি তেওঁৰ জীয়ৰক তেওঁলৈ বিয়া দিলে।

ৰজা চন্দ্ৰধৰৰো পুত্ৰ নাছিল। ৰাজকন্যা চন্দ্ৰাৱলীয়েই তেওঁৰ একমাত্ৰ সন্তান। ফলত কঁটীয়াৰ ওপৰতে ৰাজ্যভাৰ পৰিল। কঁটীয়াই মাকক নিজৰ লগলৈ আনিলে আৰু দুয়োখন ৰাজ্যৰে ৰজা হৈ দুয়োগৰাকী ৰাজকন্যাকে নিজৰ পাটৰাণী পাতি ৰাজ্য চলাবলৈ ধৰিলে।

ৰাজকন্যা চন্দ্ৰাৱলীৰ ৰূপৰ কথা মানুহৰ মুখেমুখে হৈ পৰিছিল। চন্দ্ৰাৱলীয়েও কুৰূপ লোকলৈ দৃষ্টিপাত কৰিবলৈয়ো বেয়া পাইছিল। পিছত ভাগ্যৰ পৰিহাসত যেতিয়া কঁটীয়াৰ লগত তেওঁৰ বিয়া হ'ল তেতিয়া ৰাজ্যৰ তিৰোতাবোৰে কৈছিল—

'যেনে চন্দ্ৰাৱলী তেনে কঁটীয়া
বিধাতাৰ লেখন নাযায় ছাৰিয়া।'*



* এই সাধুৰ অন্য এটা ৰূপ ৰচনাৱলী প্ৰথম খণ্ডত আছে।

বুধিয়ক দৰ্জ্জি

এখন দেশত এটা দৰ্জ্জি আছিল। অতি কম বানচতে সি ওচৰ-চুবুৰীয়াৰ সাজপাৰ চিলাই কৰি দিছিল। সেই কাৰণে ওচৰ-চুবুৰীয়া মানুহ-বিলাকে তাক বৰ মৰম কৰিছিল। পুৱা-গধূলি সি তাৰ বাহিৰৰ বহা-ঘৰত বহি মুকলি মনে চিলাই কৰি থাকে। এইদৰে থাকোঁতে এদিন আবেলি তাৰ ঘৰৰ সন্মুখৰ আলিবাটেদি কোনোবাই চিঞৰি গ'ল—'গৰম জিলাপি, গৰম জিলাপি; সস্তা দামৰ গৰম জিলাপি!' মূৰ দাঙি চাই সি জিলাপিবোৰ স্বাস্থ্যজনক দেখিলে। তাৰ জিলাপি খাবলৈ বৰ মন গ'ল। জিলাপিৱালাক মাতি নি সি আধাসেৰ জিলাপি কিনি ৰাখিলে।

চিলাই কাম তাৰ তেতিয়াও বহুত বাকী আছিল। সেই কাৰণে অলপ পিছত খাবলৈ বুলি জিলাপিখিনি কাষতে থৈ সি খৰধৰকৈ চিলাই কৰাত লাগি গ'ল। জিলাপিৰ গোন্ধ পাই বহুত মাখি আহিল। চিলাই শেষ কৰি সি দেখে যে এবাহ মাখি আহি তাৰ গোটেইখিনি জিলাপি আগুৰি ধৰিছে। সি তৎক্ষণাৎ এখন কাপোৰ হাতত লৈ মাখিবোৰৰ ওপৰত কোব মাৰি দিলে। একে কোবতে প্ৰায় ৬।৭ টামান মাখি মৰিল। সি ভাবিলে—বাঃ বাঃ মইতো কম বীৰ নহওঁ। একে কোবতে সাতোটা মাৰিলোঁ। এনেকৈ ভাবি ভাবি সি মিঠাইখিনি হেপাহ পলুৱাই খালে। এনেতে তাৰ মনত এটা বুধি খেলালে। সি ভাবিলে, মোৰ এই বীৰত্বৰ কথা নো বাৰু সকলোকে শুনাই নিদিওঁ কিয়? বহুত মানুহে যেখোন ইয়াতকৈও সৰু কাম কৰিয়ে চাৰিওফালে বঢ়াই ফুৰে। —ইয়াকে ভাবি সি এখন ৰঙা কাপোৰৰ ওপৰত টুকুৰা-টুকুৰকৈ কাটি পেলোৱা বগা কাপোৰেৰে ডাঙৰ ডাঙৰ আখৰত লিখিলে—'এটা কোবতে সাতোটা মাৰিছোঁ'।

সি এই কাপোৰখন পিঠিত বান্ধি পিছদিনা পুৱা ফুৰিবলৈ ওলাল। ভোকত খাবলৈ সি জেপত ভালকৈ বান্ধি ললে এডোখৰ পনীৰ।

বাটেদি গৈ থাকোঁতে থাকোঁতে এখন পথাৰত গৰখীয়া কিছুমান লগ পালে। গৰখীয়াহঁতে অকণমানি চৰাই এটা ধৰি তাৰে লৈতে খেলি আছিল। সি গৰখীয়াহঁতক দুটা পইচা দি চৰাইটো কিনি জেপত ভৰাই ললে। তেনেকৈ সি আকৌ যাবলৈ ধৰিলে। বাটৰ মানুহবোৰে তাক কিবা বলিয়া বটীয়া মানুহ বুলি ভাবি কোনেও একো নকলে। সি ভাবিলে—মানুহবোৰে মোৰ আদৰ বুজা নাই। বাক দিহওক, মই এই পৰ্ব্বতীয়া বাটেদিয়ে গৈ থাকোঁচোন। —এই ভাবি সি যাবলৈ ধৰিলে।

কিছুদূৰ গৈ সি এটা কিম্ভুতকিমাকাৰ মানুহ প্ৰকাণ্ড শিল এটাৰ ওপ-ৰত বহি থকা দেখিলে। দেখিয়েই সি বুজিব পাৰিলে যে সি কোনোবা মায়াবী ৰাক্ষস। তথাপিও সি কিন্তু ভয় নাখালে। ৰাক্ষসে দৰ্জ্জিৰ পিঠিৰ আখৰবোৰ পঢ়ি হ'াহিলে। সি ভাবিলে—ই নো কি সাতোটা বধিলে? সুধিয়ে চোৱা যাওকচোন। এই বুলি সি দৰ্জ্জিৰ ওচৰ চাপি কলে—'হেৰ মণীয়া মানুহটো, তোৰ পিঠিত এইবোৰ কি লিখি লৈছ? তেনেই দেখোন অশ্বমেধ যজ্ঞৰ ঘোৰাঁটো হৈ পৰিছ!'

দৰ্জ্জিয়ে উত্তৰ দিলে—'ই মোৰ বলৰ সাক্ষীস্বৰূপ। এটা কোবতে মই সাতোটা মানুহ মাৰিছিলোঁ। তেতিয়াৰেপৰা ৰজাই মোক এই উপাধি দিছে।' ৰাক্ষসে কলে—'আহ বাক ওচৰ চাপি। তোৰ বলৰ পৰীক্ষা চাওঁ। এই বুলি ৰাক্ষসে ইফালে সিফালে চাই দুটা গছৰ ডাল ভাঙি আনি কলে—'ইয়াৰে এটা চেপি মই পানী উলিয়াম চাবি। তয়ো আনটো চেপি ঠিক তেনেদৰেই পানী উলিয়াব লাগিব।' ইয়াকে কৈ ৰাক্ষসে এটা ডাল পাকেৰে লৈতে ধৰি চেপি তাৰপৰা ৰস বাহিৰ কৰি দেখুৱালে।

এতিয়া দৰ্জ্জিৰ পাল পৰিল। দৰ্জ্জিয়ে পোনেই কলে—'গছৰ ডাল চেপি পানী উলিওৱা সামান্য কথা; কাৰণ কেঁচা গছৰ ডাল পাতবোৰত পানী আছে। শুকান শিল মোহাৰি পানী উলিয়াব পাৰিলেহে তোমাক বলী বুলিলোঁহেতেন। মোক চোৱা বাক।' এই বুলি কৈ সি শিল এডোখৰ হাতত লৈ বল দিয়াৰ ছলেৰে জেপৰ পনীৰডোখৰ উলিয়াই চেপি হাতত ৰস উলিয়াই দেখুৱালে। কাৰ্য্য দেখি ৰাক্ষসে বিস্ময় মানিলে।

এইবাৰ আকৌ ৰাক্ষসে এডোখৰ শিল গছৰ আগলৈ দলিয়াই দি কলে—'বাক ভাই এইবাৰ এটা দলি মাৰ। তোৰ দলি কিমান ওপৰলৈ যায় চাওঁ।' দৰ্জিয়ে উপলুঙাৰ সুৰত হাঁহি মাৰি কলে—'মোৰ দলি কিমান ওপৰলৈকে নাযাওক, সি পুনঃ ঘূৰি মাটিত পৰিবহি। মই এনে জোৰেৰে দলি মাৰি পঠিয়াম যে সি আৰু কেতিয়াও পৃথিৱীলৈয়ে ঘূৰি নাহিব।' এই বুলি সি জেপৰপৰা চৰাইৰ পোৱালিটো উলিয়াই লৈ শিল এডোখৰ দলিওৱা ভাও জুৰি—চৰাই পোৱালিটো আকাশলৈ উৰুৱাই দিলে। ৰাক্ষসে তাৰ ততকে ধৰিব নোৱাৰিলে। দৰ্জিৰ কাৰ্য্য দেখি সি বিস্ময় মানিলে।

এইবাৰ ৰাক্ষসে ওচৰতে উঘালি পৰি থকা প্ৰকাণ্ড গছ এজোপালৈ আঙুলিয়াই কলে—'হেৰ' মানুহ! এইবাৰ তোৰ বলৰ আচল পৰীক্ষা হব। ধৰ বাৰু এই গছজোপা—দুয়ো সাঙি কৰি লৈ যাওঁ।' দৰ্জিয়ে কলে—'কোনো কথা নাই, ব'লা বাৰু। গছজোপা অৱশ্যে কিছু গধুৰ হব। ইযাৰ পাতবোৰ কেঁচাই আছে। পাতবোৰে সৈতে ডালবোৰ যথেষ্ট গধুৰ হব। হলেও বাৰু মযে আগৰ ফালে ধৰোঁ, তুমি গুৰিৰ ফালেই ধৰা। তুমি আগত হোৱা, মই পাছত হওঁ।' ৰাক্ষস সন্মত হ'ল আৰু গছজোপা গুৰিৰে সৈতে দাঙি কান্ধত ললে আৰু যাবলৈ লাগিল। দৰ্জি গছৰ পাতৰ আঁৰৰ ডাল এটাত বহি লৈ সুহুৰিয়াই সুহুৰিয়াই যাবলৈ ধৰিলে। মূৰ্খ ৰাক্ষসে যে কেৱল গছজোপাহে কঢ়িয়ালে এনে নহয়, দৰ্জিকো কান্ধত লৈ যোৱাৰদৰে কৰিলে। কিছুদূৰ গৈ গৈ ভাগৰ লগাত গছজোপা নাহেকৈ নমাই থৈ সি হুমুনিয়াহ কাঢ়িলে। দৰ্জিয়ে ফটকৰে ডালৰপৰা মাটিত নামি ডাল এটাত ধৰি লৈ পুনৰ সুহুৰিয়াবলৈ ধৰিলে, যেন সি ভাগৰ অকণো অনুভৱ কৰা নাই। ৰাক্ষসে ভাবিলে, ই কম মানুহ নহয়।

আকৌ দুয়ো যাবলৈ লাগিল। কিছুদূৰ গৈ এজোপা জামু গছত বহুত পকা জামু লাগি থকা দেখি ৰাক্ষসে হাতেৰে তাৰ ডাল কেইটামান ধৰি টানি মাটিৰ ওচৰলৈ নমাই আনি দৰ্জিক হেঁপাহ পলুৱাই জামু খাবলৈ কলে আৰু নিজেও খালে। দৰ্জি যেতিয়া একান্তমনে জামু খাই আছে—

বাঘসে তেতিয়া ধেমালি চাৰৰ মনেৰে গছৰ ডালটো এৰি দিলে। দৰ্জিক ডালটোৱে ছাটৃ কৰে গছৰ আগলৈ তুলি লৈ গ'ল। বাঘসে হাত-ভাপৰি এজাই হাঁহিবলৈ ধৰিলে। দৰ্জিয়ে তৎক্ষণাৎ বুধি এটা উলিয়াই—'এ নাহঁাহিবা তেনেকৈ! মৰিবা এতিয়া গুলী খাই। সৌৱা গছৰ আঁৰৰপৰা চিকাৰীয়ে বন্দুক টোৱাইছে। মই সেইবাবেই গছৰ ওপৰলৈ জাপ মাৰিলোঁ। তুমি এতিয়া মৰিবা। মাটিত উবুৰি হৈ পৰা, নহলে ৰক্ষা নাই।' বাঘসে আগ-পাছ নুগুণি তৎক্ষণাৎ দৰ্জিৰ উপদেশ মতে কাম কৰিলে। অলপ সময়ৰ পিছত চিকাৰী বাঘসক নেদেখি উভতি গ'ল বুলি কৈ দৰ্জি নামি আহিল আৰু বাঘসৰ লগত লগ হৈ পুনঃ দুয়ো কথা পাতি বাটে বাটে যাবলৈ ধৰিলে।

বাঘসে দৰ্জিক ৰাতিটোৰ বাবে তাৰ ঘৰতেই আলহী হবলৈ কলে। দৰ্জিও মান্তি হ'ল। ৰাতি আন আন বাঘসেৰে সৈতে দৰ্জিয়ে তাৰ বন্ধু বাঘসৰ ঘৰত মাছে-মঙহে উদৰ পূৰাই খালে। তাৰ পিছত বাঘসে দৰ্জিক ৰাতি শুবৰ কাৰণে এখন সুন্দৰকৈ সজোৱা পালেং দিলে। পালেংত তৰপে তৰপে তুলী-তলিচা পাৰা আছিল। দৰ্জি তাত আৰাম কৰি শুলে।

ইফালে বাঘসবোৰে মন্ত্ৰণা কৰিলে যে সিহঁতৰ এজনে মাজনিশা দৰ্জিৰ শোৱা কোঠালীত সোমাই দৰ্জিক টাঙোনেৰে কোবাই বিছনাতে বধ কৰি থব। দৰ্জিয়ে তাৰ একো গমগতি নাপালে। ভাগ্যে দৰ্জিৰ সেই নিশা বহুত সময়লৈকে টোপনি অহা নাছিল, কাৰণ তেনেকুৱা আৰামজনক বিছনাত সি কোনো দিন শুই পোৱা নাছিল। কিছু সময় বিচনাত বাগৰা-বাগৰিকৈ থাকি সি বিছনাত কাপোৰবোৰ ভালকৈ থৈ এফালে-মুধাৰে গৈ চুকত পৰি থকা ভেৰাৰ ছাল এখনত কুকুৰ-মোটোকা দি শুলে। তাৰ তাতে টোপনিও আহিল। মাজনিশা মন্ত্ৰণা কৰা মতে এটা বাঘসে আহি দৰ্জিৰ বিচনাৰ কাপোৰত ডাঙৰ টাঙোন এডালেৰে উধে-মূধে কোবাবলৈ ধৰিলে। তাৰ পিছত দৰ্জি মৰিল বুলি ভাবি সি এফালে-মুধাৰে পুনঃ ওলাই উভতি গ'ল।

পিছদিনা ৰাতি পুৱালত দৰ্জি উঠি চকু মুখ মোহাৰি হাঁহি এটা মাৰি ঘৰৰ দুৱাৰ-মুখত থিয় হ'ল। গৃহস্থ বাঘসে দৰ্জিক জীৱিতাৱস্থাত দেখি

ভয়ত বিচুৰ্তি খালে। সি কলে—'বন্ধু, ৰাতি তাল টোপনি আহিছিল নে?

দৰ্জিয়ে উত্তৰ দিলে—'টোপনি আহিছিল; পিছে গাত দুই-চাৰিটা মহ পৰিছিল যেন পাওঁ। তেতিয়াই উঠি সিহঁতক ধৰি লেকা দিওঁ বুলি ভাবিছিলোঁ, পিছত আকৌ মনত খেলালে দিনে-পোহৰে চাই-চিতি ব্যৱস্থা কৰাই ভাল হব।'

দৰ্জিৰ কথা শুনি ভয়ত ৰাক্ষসৰ পেটতে হাত-ভৰি লুকাল। সি তাৰ জ্ঞাতি কুটুম্বসকলক সকলো কথা গোপনে কৈ দৰ্জিৰ ভয়ত সকলোটি পলাই পতং দিলে। দৰ্জিয়ে তাত কাকো নেদেখি তাৰপৰা ওলাই ৰজাৰ নগৰৰ ফালে খোজ ললে।

পিঠিত জাননী মাৰি লোৱা আচৰিত ধৰণৰ এই মানুহজনক দেখি নগৰৰ প্ৰহৰীৰ মনত সন্দেহ উপজিল। সি দৰ্জিক নি ৰজাৰ ওচৰত ভেটাই দিলে। ৰজাৰ প্ৰশ্নৰ উত্তৰত দৰ্জিয়ে মৰণত শৰণ দি 'একে কোবতে সাতোটা বধিছোঁ' বোলা কথাৰ অৰ্থ এইদৰে কলে যে সি এখন ৰণত এই কাম কৰিছিল আৰু তাৰ বীৰত্বৰ কথা যাতে আনে সহজে পাহৰিব নোৱাৰে তাৰ বাবে বাইজে তাক এনে ধৰণৰ পোচাক দিছে। ৰজাই তাৰ কথাত ইমানে পতিয়ন গ'ল যে তেতিয়া তেওঁ তাক সেনা-পতি পদত নিযুক্ত কৰিলে।

ৰজাৰ নগৰৰপৰা প্ৰায় এদিনৰ বাট দূৰত এখন অটব্য অৰণ্য আছিল। তাত দুটা দুৰ্দান্ত ৰাক্ষস বাস কৰিছিল। সিহঁতে ৰজাৰ ৰাজ্যত মাজে-সময়ে বৰকৈ উৎপাত আৰম্ভ কৰিছিল। ৰজাই ভাবিলে যে নতুন সেনা-পতিক এই ৰাক্ষস দুটা বধ কৰিবলৈ পঠালে সি তাতেই মৰিব। ইয়াকে ভাবি লগত কিছুমান সৈন্য দি ৰজাই দৰ্জি সেনাপতিক সেই কামৰ কাৰণে পঠালে।

দৰ্জি সেনাপতিয়ে ৰাজ-আদেশ পাই সসৈন্যে ৰাক্ষস বধৰ কাৰণে যাত্ৰা কৰিলে। অৰণ্যৰ ওচৰ পাই সেনাপতিয়ে সৈন্যবোৰক ছাউনী পাতি নীৰৱে থাকিবলৈ কৈ হাতত তৰোৱাল লৈ নিজে অকলে হাবিত সোমাল। সি গৈ দেখে যে দুয়োটা ৰাক্ষসে দুপৰীয়াৰ গৰমত এজোপা ডাঙৰ বৰ-গছৰ শীতল ছাঁত অতি আৰামেৰে শুই আছে। দুয়োৰো ভাল টোপনি আহিছে। সেনাপতিয়ে ওচৰতে থকা কিছুমান শিলগুটি জেপত ভৰাই লৈ

গছত উঠিল আৰু পাতৰ আঁৰৰ পৰা অতি সাৱধানে এটা এটাকৈ কেৰা-টাও শিলগুটি প্ৰথম ৰাক্ষসৰ গালে মাৰি পঠালে। ৰাক্ষসে চকমক্ খাই সাৰ পাই ভাবি দি দ্বিতীয় ৰাক্ষসক সুধিলে—'হেৰ' মোৰ গাত তই শিলগুটি মাৰিছিলি কিয়?' দ্বিতীয় ৰাক্ষসে কলে—'তই নিশ্চয় সপোন দেখিছিলি। শুই থাক। শুই থাক।'

সেনাপতিয়ে গছৰ ওপৰৰপৰা এইবাৰ আকৌ দ্বিতীয় ৰাক্ষসৰ গাত শিলগুটি মাৰিলে। দ্বিতীয় ৰাক্ষসে আগৰ দৰে প্ৰথম ৰাক্ষসক দোষ দি খং কৰি আকৌ দুয়ো শুলে। দুয়োৰো আকৌ টোপনি আহিল। এই-বাৰ সেনাপতিয়ে অলপ ডাঙৰ চাই এটা শিলগুটি জোৰেৰে প্ৰথম ৰাক্ষসৰ গাত মাৰি দিলে। ৰাক্ষসে সাৰ পাই একে কোবেই দ্বিতীয় ৰাক্ষসৰ ডিঙিত টিপা মাৰি ধৰিলে। দুয়োৰো ভিতৰত ভয়ংকৰ যুদ্ধ আৰম্ভ হ'ল, আৰু শেষত দুয়ো যুঁজি যুঁজি মৰাৰ তুল্য হৈ অচেতনভাৱে মাটিত পৰিল। তেতিয়া বজ্জি সেনাপতিয়ে লাহেকৈ নামি আহি তৰোৱালেৰে দুয়োৰো মূৰ দুটা কাটি লৈ সৈন্য-সামন্তেৰে ৰজাৰ নগৰলৈ উভতিল।

ৰজাই যেতিয়া শুনিবলৈ পালে যে নতুন সেনাপতিয়ে অকলে ৰাক্ষস দুয়োটা বধিলে—তেতিয়া তেওঁ বিস্ময় মানিলে। তেওঁ অন্য এটা উপায় উলিয়ালে; সকলোৰে আগত কলে যদি নতুন সেনাপতিয়ে পশুশালাত থকা আটাইতকৈ ডাঙৰ ভালুকটোৰ লগত এৰাতি একেলগে থাকিব পাৰে তেনেহলে তেওঁ সেনাপতিক নিজ ৰাজ্যৰ আধা দান কৰাৰ উপৰিও ৰাজ-কন্যাক হয়-হস্তী, বান্দী-বেটীৰে সৈতে সেনাপতিলৈ বিয়া দিব। সেনাপতি মান্তি হ'ল। ৰজাই ভাবিলে—এইবাৰ সেনাপতিৰ নিস্তাৰ নাই।

ৰজাৰ আদেশত পশুশালাৰ প্ৰকাণ্ড ভালুকটোৰ গৰালত সেনাপতিক সুমাই দিয়া হ'ল; ভালুকে মানুহ দেখি পোনেই খেদি আহিল। সেনা-পতিয়ে জেপৰপৰা ভজা বাদাম উলিয়াই পট্‌পট্ কৰি বাকলি গুচাই খাবলৈ ধৰিলে। ভালুকটোৰো বৰ লোভ লাগিল। সি সেনাপতিক বাদাম খুজিলে। সেনাপতিয়ে বাদাম দিয়াৰ ছলেৰে কিছুমান শিলগুটি দিলে। ভালুকে শিলগুটি চোবাবলৈ ধৰিলে। কিন্তু অনেক চোবায়ো ভবি কৰিব নোৱাৰিলে। তাৰ মুখেৰে তেজ ওলাবলৈ ধৰিলে। সেনাপতিয়ে কলে—'তোৰ দেখোন বাদামকেইটা ভাঙিবলৈকে বল নাইনে হ। মোক যে খুব ৰাকবি

গুচাই দিওঁ।'—এই বুলি ভালুকৰপৰা শিলগুটি গোটাচেৰেক আনি হাতৰ পাকতে তাক জেপত থৈ বাদাম কেইটামান বাকলি গুচাই ভালুকৰ হাতত দিলে। ভালুকে খাই বৰ তৃপ্তি পালে। সি সেনাপতিৰ বল দেখি বিস্ময় মানিলে।

এইবাৰ সেনাপতিয়ে চোলাৰ তলৰপৰা বাঁহী এটা উলিয়াই লৈ বজাবলৈ ধৰিলে। বাঁহীৰ সুৰ ভালুকৰ কাণত অপূৰ্ব্ব যেন লাগিল। সি ভেবা লাগি চাই থাকি কলে—'মোকো বাঁহী বজাবলৈ শিকোৱা, ভাই! সেনাপতিয়ে কলে—'শিকাব পাৰোঁ, কিন্তু তোৰ নখবোৰ বাঁহীৰ বিন্ধাত সোমাই যাব। সেইবাবে আগে অলপ কাটিব লাগিব। মাত্তি হবা জানো?'

ভালুকে টপৰাই উত্তৰ দিলে—'আঃ, মাত্তি নহম আকৌ কিয়? কাটা এয়া' বুলি সেনাপতিলৈ থেৰি গ'ল। সেনাপতিয়ে কলে—ৰবা, ৰবা। এনেকৈ কাটিলে দুখ পাবা। সৌ খুঁটাটোত নলবাকৈ বান্ধি লওঁ। তাকে কৰিলে দুখ নাপাবা।' ভালুকে বাঁহী বজাবলৈ শিকাৰ আশাত বান্ধিবলৈ দিলে। সেনাপতিয়েও তাক খুঁটাত আটি আটি বান্ধিলে; নানা প্ৰকাৰে কাকুতি কৰাটো এৰি নিদিলে।

পিছদিনা পুৱা ৰজাই গৈ দেখে যে সেনাপতিয়ে মহা আয়মেৰে বহি বাহিবলৈ চাই আছে আৰু ভালুকটো খুঁটা এটাত বান্ধ খাই মৰাৰৰে পৰি আছে। ৰজাই সেনাপতিক উলিয়াই আনি ৰাজ-চ'ৰাত তাৰ বল-বিক্ৰমৰ কথা প্ৰশংসা কৰিলে আৰু নিজৰ প্ৰতিজ্ঞামতে ৰাজকন্যাক ভালৈ বিয়া দি যৌতুক হিচাপে নিজ ৰাজ্যৰ আধা দান কৰিলে। দৰ্জিয়ে নিজৰ এনে পৰিবৰ্ত্তনৰ প্ৰকৃত অৰ্থ নিজেই নুবুজিলে?•

———

তৃতীয় খণ্ড

হনুমন্তৰ লগত ৰামচন্দ্ৰৰ যুদ্ধ

বশিষ্ঠ মুনিয়ে এবাৰ এটা ডাঙৰ যজ্ঞ পাতিছিল। তাতে নানা ঠাইৰ-পৰা বামুণ-সজ্জন আৰু ৰজা-মহাৰজাসকল নিমন্ত্ৰিত হৈছিল। দেৱৰ্ষি নাৰদ; মহৰ্ষি বিশ্বামিত্ৰ আৰু কাশীদেশৰ অধিপতি ৰজা শকুন্তও তাত উপস্থিত আছিল। যজ্ঞ শেষ হ'লত নিমন্ত্ৰিত আলহী-সকল যৰাঘৰি গুচি গ'ল। ৰজা শকুন্তও গ'ল। তেওঁ যোৱাৰ সময়ত প্ৰথমে বশিষ্ঠ ঋষিক প্ৰণাম কৰিলে আৰু তাৰ পিছত বিশ্বামিত্ৰাদি আন আন ঋষিসকলকো প্ৰণাম কৰি বিদায় ললে।

এই যজ্ঞ নিৰ্ব্বিঘ্নে হৈ যোৱাৰ কিছুদিন পিছত এদিন মহামুনি নাৰদৰ মনত খেলালে, বোলে ৰজা শকুন্তই যে সিদিনা যজ্ঞৰপৰা বিদায় লবৰ সময়ত প্ৰথমে বশিষ্ঠক প্ৰণাম কৰিলে—বিশ্বামিত্ৰক প্ৰণাম নকৰিলে—তাকে কৈ খণ্ডাল ঋষি বিশ্বামিত্ৰৰ হতুৱাই এখন কন্দলৰে সৃষ্টি কৰা যাওক। ইয়াকে ভাবি তেওঁ বিশ্বামিত্ৰৰ ওচৰ পালেগৈ আৰু কলে, ঋষিৰাজ, এটা সামান্য কথাত আজি কেইদিনমানৰপৰা মোৰ মনটো বৰকৈ খু-দুৱাই আছে। সিদিনা বশিষ্ঠ মুনিৰ যজ্ঞত ৰজা শকুন্তই বিদায়ৰ সময়ত তোমাক আগে প্ৰণাম নকৰি বশিষ্ঠকহে প্ৰণাম কৰিলে। তুমি জানায়ে নহয়—ৰৰলোকে যি কৰে, ইতৰসকলে তাকেই মানি চলে। পিছে, মই এতিয়া দ'লৈকে যাওঁ তাতেই বশিষ্ঠৰহে মান গৌৰৱ, ধ্যান-তপোবল আদিৰ কথা কোৱা শুনো; তোমাৰ শুনো। তোমাৰ মান-যশ যেন দিনে দিনে ম্লান হৈ আহিছে। ইয়াৰ গুৰিতে হ'ল ৰজা শকুন্ত। নহয় জানো? ৰজা শকুন্তই সিদিনা ইচ্ছা কৰা হলে তোমাকেই আগে প্ৰণাম কৰিব পাৰিলে-হেঁতেন। অহঙ্কাৰৰ বশ হৈহে নকৰিলে। কথাটো ভাবি মোৰ মনটোত বৰ বেজাৰ লাগি আছে।"

কথা শুনি বিশ্বামিত্ৰৰ খঙে মূৰৰ চুলি পালেগৈ। তেওঁ চকু ৰঙা কৰি চাই কলে—'ও সেয়েহে নে? তেন্তে মই ৰজা শকুন্তক এই মুহূৰ্ত্ততে শাপি ভস্ম কৰিম। জগতে তেতিয়াহে বুজিব বিশ্বামিত্ৰৰ শক্তি কিমান!'

কথা বিষম দেখি নাৰদে কলে—'নহয় ঋষিৰাজ, খঙত অধৈৰ্য্য হৈ কাম নকৰিবা। মোৰ বুদ্ধি শুনা। শাপ দি ভস্ম কৰাতকৈ তুমি তোমাৰ ভক্ত ৰামচন্দ্ৰৰ হতুৱাই ৰজা শকুন্তক শাস্তি দিওৱা। সমানে সমানেহে যুঁজা ভাল। বুঢ়া লোকেও কয়—'সম'নে সমানে কৰিবা কাজ; হাৰিলে জিকিলে ন'ই লাজ।'

বুধিটো বিশ্বামিত্ৰৰ মনত লাগিল। তেওঁ অযোধ্যালৈ গৈ ৰামচন্দ্ৰক কলে—'বোপা ৰাম, তুমি মোৰ মান-গৌৰৱ ৰক্ষাৰ কাৰণে এটা কাম কৰিবানে?'

ৰামে কলে—'কওক গুৰুদেৱ, প্ৰাণ দি হলেও আপোনাৰ গৌৰৱ ৰক্ষা কৰিম।'

বিশ্বামিত্ৰই কলে—'শুনা তেনেহলে। কাশীৰাজ শকুন্তই মোক অপমান কৰিছে। তুমি কালি সূৰ্য্যাস্ত যোৱাৰ পূৰ্ব্বে ৰজা শকুন্তক বধ কৰিব লাগে।'

ৰামচন্দ্ৰ মান্তি হ'ল। তেওঁ ভালকৈয়ে জানে যে ৰজা শকুন্ত তেওঁৰ পৰম ভক্ত আৰু বিশ্বাসী বন্ধু। তথাপি তেওঁ তেওঁক বধ কৰিবলৈ মান্তি হ'ল। কাৰণ নিজৰ প্ৰতিজ্ঞা আৰু গুৰুৰ মান দুয়োটা তাৰ দ্বাৰা ৰক্ষা কৰা হব। বিশ্বামিত্ৰয়ো আশ্বাস পাই সন্তোষ মনেৰে আশ্ৰমলৈ উভতি গ'ল।

ইফালে নাৰদে কৰিলে কি? তেওঁ পোনে পোনে কাশীৰাজ শকুন্তৰ ওচৰ পালেগৈ আৰু তেওঁক কলে—'মহাৰাজ, তোমাৰ হব লগীয়া হ'ল। দাশৰথী ৰামচন্দ্ৰৰ তুমি ত'ওঁৰ ভক্ত আৰু বন্ধু হোৱা সত্বেও তেওঁ তে'মাক কালিলৈ সূৰ্য্যাস্ত যোৱাৰ আগতে বিনা অপৰাধে বধ কৰিবহি।'

ৰজা শকুন্ত অলপ আচৰিত হ'ল; কাৰণ ৰামচন্দ্ৰৰ ওচৰত তেওঁ সজ্ঞানে কোনো অপৰাধ কৰা নাই। তেওঁ নাৰদক সুধিলে—'দেৱৰ্ষি, মই আপোনাৰ কথা একো বুজিব পৰা নাই। দয়া কৰি অধমক সকলো কথা বিবৰি কওক।' নাৰদে সকলো কথা ভাঙ্গি-পাতি কৈ উপদেশ দিলে যে

এই অৱস্থাত শ্ৰীৰামচন্দ্ৰৰ লগত ৰণ কৰাত তেওঁৰ একো অপৰাধ নাই; বৰং সেইটো'হে সৰ্ব্বতোপ্ৰকাৰে সমীচীন কাম হব।

কাশীৰাজে কলে—'নহয় দেৱৰ্ষি, মই কেতিয়াও প্ৰভু ৰামচন্দ্ৰৰ লগত বিৰোধ নকৰোঁ। বৰং তেওঁৰ হাতত মৰিব পাৰিলে মই নিজকে পৰম সৌভাগ্যৱান বুলি ভাবিম।' নাৰদে তেতিয়া শাস্ত্ৰৰ নানা প্ৰকাৰ বচন মাতি যুক্তি দেখুৱাই কলে যে বিপদত ধৈৰ্য্য ধৰি যুঁজিবে কাম কৰা জ্ঞানী লোকৰ কৰ্তব্য আৰু যুদ্ধক ভয় কৰা ক্ষত্ৰিয়ৰ পক্ষে মহাপাপ। লাগিলে উচিত পথত থাকি ৰণ কৰিবলৈ অন্যৰো সহায় লব লাগে।

ৰজাই কলে—'কোনে মোক সহায় কৰিব? প্ৰভু ৰামচন্দ্ৰৰ লগত বিৰোধ কৰিবলৈ কোন পাষণ্ডই সাহ কৰিব? জলা জুইলৈ ভয় নাই কাৰ।

ঋষিয়ে কলে—'উপায় দিওঁ শুনা। তুমি কালিলৈ ৰাতিপুৱা লোক-মোকালিতে নিৰ্জন অৰণ্যলৈ গৈ আশ্ৰয়ৰ কাৰণে আতুৰভাৱে চিঞৰিবা। তোমাৰ সহায় নিশ্চয় ওলাব। তুমি ভয় নকৰিবা।' ইয়াকে কৈ দেৱৰ্ষি নাৰদ স্বৰ্গলৈ গ'ল।

পিছ দিনা ৰাতিপুৱা ৰজাই অৰণ্যৰ মাজত সোমাই চিঞৰি চিঞৰি কবলৈ ধৰিলে—'কোন আছা এই অৰণ্যৰ মাজত, এই বিপদীয়াক ৰক্ষা কৰা; ৰক্ষা কৰা। নহলে মোৰ আজিয়ে মৰণ।

ভাগ্যক্ৰমে সেই অৰণ্যত সেই সময়ত হনুমানৰ মাক অঞ্জনা গুহাৰপৰা ওলাই ইফালে সিফালে ঘুৰিছিল। ৰজাৰ এনে আতুৰ চিঞৰ কাণত পৰিল। তেওঁ ততাতৈয়াকৈ ৰজাৰ ওচৰলৈ গৈ কলে—'হেৰা মানুহটো, তোমাৰ কি হৈছে? কি হৈছে শীঘ্ৰে কোৱা। মই ৰক্ষা কৰিম। প্ৰতিজ্ঞা কৰি কৈছোঁ, তোমাক ৰক্ষা কৰিম। ভয় নকৰিবা; কোৱা।

কথা শুনি ৰজা কিঞ্চিৎ আশ্বস্ত হ'ল। তেওঁ কান্দি কান্দি কলে—"আজিৰ ভিতৰতে মোৰ ৰামৰ হাতত মৰণ হব। মোক ৰক্ষা কৰিব লাগে।'

অঞ্জনাই ভাবিলে—তাৰ মানে শ্ৰীৰামচন্দ্ৰৰ লগত ৰণ! কি বিপদ! কি ডাঙৰ ভুলেই কৰিলোঁ! যি হওক, প্ৰতিজ্ঞা কৰিছোঁ যেতিয়া, তাক ৰাখিবই লাগিব। ইয়াকে ভাবি তেওঁ হনুমানক সোঁৱৰণ কৰিলে। স্মৰণ

কৰা মাত্ৰই পৱন-কুমাৰ হনুমন্ত আহি মাকৰ ওচৰত উপস্থিত হৈ সেৱা জনাই কলে—'আদেশ দিয়ক আই! আপোনাৰ নিঃকিন পুত্ৰই কি কৰিব লাগে আদেশ দিয়ক।'

অঞ্জনাই হনুমানক সকলো কথা কৈ ৰজা শকুন্তক ৰামচন্দ্ৰৰ হাতৰপৰা ৰক্ষা কৰিবলৈ আদেশ দিলে।

হনুমান ঘোৰ সমস্যাত পৰিল। এফালে মাতৃ-আজ্ঞা লঙ্ঘনৰ পাপ, আনফালে নিজৰ উপাস্য দেৱতা শ্ৰীৰামচন্দ্ৰৰ লগত ৰণ! পিছত ভাবি ভাবি তেওঁ এটা উপায় উলিয়ালে। বোলে—মৰিব লাগিলে ৰাম-মন্ত্ৰ জপিয়ে মৰা ভাল। ইয়াকে ভাবি তেওঁ নিজৰ নেগুৰডাল যোগবলেৰে দীঘলকৈ বঢ়াই দিলে আৰু তাৰে সৈতে কোঁথাৰি পকাই ৰজা শকুন্তক তাৰ ভিতৰ সুমাই বেঢ়ি ৰাখিলে; লগে লগে মুখেৰে অনবৰত ৰাম নাম জপিবলৈ ধৰিলে।

ইফালে ৰাতি পুৱালত ৰামে ভ্ৰাতৃ শত্ৰুঘ্নক পঠালে—ৰজা শকুন্তক ধৰি আনিবলৈ। শত্ৰুঘ্ন গৈ বাৰাণসীত খবৰ পালে যে ৰজা অৰণ্যলৈ গৈছে। শত্ৰুঘ্নও অৰণ্যলৈ গ'ল। তেওঁ গৈ এটা টিলাৰ ওপৰত হনুমানক ৰাম-মন্ত্ৰ জপি বহি থকা দেখিলে। তেওঁ হনুমানক ৰজা শকুন্তৰ বিষয়ে সুধিলে। হনুমানে মাৰৰ আজ্ঞাৰ কথা বিবৰি কৈ কলে—'যদি ইচ্ছা তেন্তে তুমি মোক বধ কৰি ৰজা শকুন্তক মোৰ হাতৰপৰা লৈ যাব পাৰা।'

শত্ৰুঘ্ন বিমোৰত পৰিল। তেওঁ কলে—'হনুমান, তুমি মোৰ ভ্ৰাতৃৰ তুল্য। তাতে বৌ সীতাদেৱীৰ বৰত তুমি চিৰঞ্জীৱ হৈছা। তিনিও লোকত তুমি অবধ্য; চাৰিও যুগত তুমি অবধ্য। ইফালে দাদা ৰামচন্দ্ৰৰ তোমাতকৈ ডাঙৰ ভক্ত দ্বিতীয় এজন নাই। এনে স্থলত তোমাৰ লগত মই কাজিয়া কৰিম কোন সাহে? নাই, মই নোৱাৰোঁ।' ইয়াকে কৈ শত্ৰুঘ্ন উভতি গ'ল আৰু দাদাক ৰামচন্দ্ৰৰ আগত সকলো কথা বিবৰি কলেগৈ।

ৰামে সেই কামৰ কাৰণে ইবাৰ লক্ষ্মণক পাচিলে। লক্ষ্মণ গ'ল আৰু ঘূৰি আহি তেৱোঁ সেই একে কথাকে কলেহি।

এইবাৰ অগত্যা ৰামচন্দ্ৰ নিজে যাব লগীয়াত পৰিল। তেওঁ গৈ ধ্যানস্থ হনুমানক দেখি কলে—'বৎস হনুমান, মই মোৰ গুৰুৰ আজ্ঞা পালন

কৰিবলৈ আজি ৰজা শকুন্তক বধ কৰিব লাগিবই। তুমি ৰজা শকুন্তক নির্ব্বিবাদে মোৰ হাতত সমৰ্পণ কৰা।'

হনুমানে প্ৰণাম কৰি কলে,—'প্ৰভু, তোমাক যেনেকৈ শকুন্তক বধ কৰিবলৈ গুৰুৱে আদেশ দিছে, মোকো তেনেকৈয়ে শকুন্তক ৰক্ষা কৰিবলৈ মাতৃয়ে আদেশ দিছে। গতিকে তুমি মোক হত্যা কৰি ৰজা শকুন্তক বধ কৰা; তেতিয়াই সমস্যাৰ সমাধান হব।'

ইফালে তৰ্ক কৰিবলৈও ৰামৰ সময় নাই। বেলি পৰি আহিছে। গতিকে তেওঁ হনুমানক সাজু হবলৈ কৈ তেওঁৰ গালৈ এপাট এপাটকৈ শৰ মাৰিবলৈ ধৰিলে। হনুমানে সেই শৰলৈ ভ্ৰূক্ষেপ নকৰি চকু মুদি অবিৰাম ৰাম-নাম জপিবলৈ লাগিল।

কি আচৰিত কথা—ৰামৰ শৰবোৰ গৈ বীৰ হনুমানৰ কণ্ঠত এধাৰি ধুনীয়া মালাৰূপে জিক্‌মিকাবলৈ ধৰিলে।

ইয়াকে দেখি নিৰুপায় হৈ ৰামে টোণৰপৰা অব্যৰ্থ নাৰায়ণ অস্ত্ৰ উলিয়াই লৈ আক প্ৰহাৰ কৰিবলৈ বুলি মন্ত্ৰ পঢ়িবলৈ ধৰিলে। নাৰায়ণ অস্ত্ৰৰ প্ৰকোপত সমগ্ৰ বিশ্বত এক অভাৱনীয়, অসহনীয় তাপ উৎপন্ন হ'ল। ঋষি আৰু দেৱতাসকলে ভয়তে গৈ ব্ৰহ্মাত শৰণ ললে।

ব্ৰহ্মাই দেখে, ৰাম-হনুমানৰ যুঁজত এতিয়া সৃষ্টি ছাৰখাৰ হয়। তেওঁ তেতিয়া সকলোকে লগত লৈ ঘটনাস্থলত উপস্থিত হ'লগৈ, আৰু চকু মুদি ৰামনাম জপি থকা হনুমানৰ ফালে চাই তেওঁ কলে—'ভক্ত হনুমান, চকু মেলি চোৱাচোন, তোমালোকৰ ওচৰলৈ কোন কোন আহিছে হক।'

হনুমানে চকু মেলি চাই সন্মুখত সৃষ্টিকৰ্ত্তা ব্ৰহ্মাক দেখি সাষ্টাঙ্গে প্ৰণিপাত জনালে। ব্ৰহ্মাই তেতিয়া হনুমানক কলে—'বৎস, ঋষিসকলো আহিছে; তেওঁলোকলৈও চোৱাচোন!'

—হনুমানে অলপকৈ মূৰ ঘূৰাই চাই বিশ্বামিত্ৰ প্ৰমুখ্যে ঋষিসকলকো দেখি আচৰিত হ'ল। তেওঁ গোনেই ঋষি বিশ্বামিত্ৰৰ চৰণতে দীঘল হৈ পৰি প্ৰণাম জনালে। তুষ্ট হৈ ঋষিয়ে—'কল্যাণ হওক' বুলি আশীৰ্ব্বাদ দিলে। হনুমান যেতিয়া সেৱা কৰি আঁতৰিল, তেতিয়া ঋষি বিশ্বামিত্ৰই দেখে যে ৰজা শকুন্তয়ো হনুমানৰ লগতে প্ৰণাম কৰি আছে।

তেওঁ বৰ সন্তুষ্ট হ'ল আৰু ৰামৰ ফালে চাই কলে—'প্ৰিয় ৰামচন্দ্ৰ, তুমি অনুগ্ৰহ কৰি তোমাৰ নাৰায়ণ অস্ত্ৰ সম্বৰণ কৰা। শকুন্তক নামাৰিবা। চোৰা, সোৰা তেওঁ মোৰ শৰণ লৈছে। আশ্ৰিতক মাৰাখিলে মই পাপত পৰিম। মই ইতিপূৰ্ব্বে তেওঁক কল্যাণ হওক বুলি আশীৰ্ব্বাদ দিলোঁয়ে। গতিকে তেওঁৰ মৃত্যু অসম্ভৱ। সেই হেতু, বোপা, তুমি তোমাৰ নাৰায়ণ অস্ত্ৰ সম্বৰণ কৰা। ই মোৰ আদেশ।'

শ্ৰীৰামে তেতিয়া নিজৰ অস্ত্ৰ সম্বৰণ কৰিলে। ভক্ত-ভগৱানৰ যুঁজৰ অৱসান ইমানতে ঘটিল। হনুমানে শ্ৰীৰামচন্দ্ৰৰ চৰণত সেৱা জনাই ক্ষমা খুজিলে। ৰামে কলে—'হনুমান, তোমাতকৈ ডাঙৰ ভক্ত মোৰ আৰু কোনো নাই। আজিৰ এই কাৰ্য্যৰ মাজেদিও তুমি ৰাম-নামৰেই মাহাত্ম্য জগতত ঘোষণা কৰিলা। তোমাৰ জয় হওক।

নাৰদেও ৰামক প্ৰণাম জনালে। ৰামে তেতিয়া কলে—'দেৱৰ্ষি, তুমি যে কেনেকুৱা কন্দলবোৰ লগাই দি তাৰ সহায়ত জগতক অমূল্য শিক্ষা প্ৰদান কৰা, ভাবিলে মই স্তব্ধ হওঁ। তোমালোকৰ মঙ্গল হওক।'

তেতিয়া হনুমানৰ মাক অঞ্জনায়ো আহি ৰামচন্দ্ৰক প্ৰণাম কৰি তেৱেঁই সকলো দোষৰ মূল বুলি ক্ষমা খুজিলে। ৰামে তেওঁকো কলে—'এনেকৈয়ে ভক্তই সদায় দোষৰ মাজেদিও নিজৰ আৰু আনৰ কল্যাণহে সাধে।' সৃষ্টিকৰ্ত্তা ব্ৰহ্মায়ো, তাৰ পাছত শ্ৰীৰামচন্দ্ৰক স্বয়ং ভগৱানৰেই অৱতাৰ বুলি ঘোষণা কৰি ৰাম-নামৰ মাহাত্ম্য সকলোকে বুজাই দিলে।

এনে আনন্দ কোলাহলৰ মাজত হৃষ্টচিত্তে সকলোৱে স্ব-স্ব স্থানলৈ প্ৰস্থান কৰিলে।

নাৰদৰ দৰ্প-চূৰ্ণ

আমি সকলোৱে নাৰদৰ নাম শুনিছোঁহক। গাঁৱত পৰম্পৰৰ মাজত যেতিয়া অনবৰত হাই-কাজিয়া হবলৈ ধৰে তেতিয়া মানুহে কয়—গাঁৱত নাৰদ সোমাইছে। কোনো মানুহে যেতিয়া অ'ৰ কথা নি ত'ত লগায়; তেতিয়াও কোৱা হয়—ই নাৰদ। টুটকীয়া স্বভাৱৰ লোকক গালি পেৰোৱা হয়—নাৰদীয়া বুলি।

আচলতে নাৰদ কিন্তু সিমান বেয়া নাছিল। অৱশ্যে ভালে হওক, বেয়াই হওক, অ'ৰ খবৰটো নি ত'ত লগোৱা স্বভাৱটি হলে তেওঁৰ আছিল। অসমীয়া মানুহৰ মতে নাৰদৰ বাহন আছিল এটা ঢেঁকী। ঢেঁকীনো পিছে উৰিব কেনেকৈ? হয়তো দেখাত ঢেঁকীৰ নিচিনা কিবা বাহনত উঠি তেওঁ বিশ্ব-ব্ৰহ্মাণ্ড ভ্ৰমি ফুৰিছিল। আজিকালিৰ আকাশী যান বা উৰাজাহাজো পিছে দূৰৰপৰা ঢেঁকীৰ নিচিনায়ে দেখি। গাঁৱত বিয়া হলে ঢেঁকীত বান্ধি দি থোৱাৰ নিয়ম আছে। ঢেঁকীত বান্ধিলে বিয়াত নাৰদ নামিব নোৱাৰে; গতিকে দন্দ-কাজিয়াৰ ভয় নাথাকে, এয়ে সকলোৰে ধাৰণা।

পিছে নাৰদৰ অন্য দোষ-গুণ যিয়ে নাথাকক, বীণা বজোৱাত যে তেওঁ সিদ্ধহস্ত আছিল সেইটো কোনেও অস্বীকাৰ নকৰে। হাতত বীণখনি লৈ অনবৰত ঢেঁকীৰ বাহনত ফুৰা পকা ডাড়ি-চুলিৰে সৈতে সেই বুঢ়া জনেই আমাৰ কল্পনাৰ নাৰদ?

নাৰদৰ বীণ অহৰ্নিশে বাজিয়ে থাকে। দিনে ৰাতি যাৰ হাতৰপৰা বীণা গুচে, সুখে-দুখে যাৰ সেই বীণখনেই লগৰী, তেওঁ যে বীণা বজোৱাত পাকৈত হব, তাত আচৰিত হব লগীয়া একো নাই। বীণা বজোৱাত কেৱ মাৰিব পৰা প্ৰাণী ত্ৰিজগতত ওপজা নাই বুলি মনে মনে তেওঁৰ এটা অহঙ্কাৰ হৈছিল!

ভগৱান কৃষ্ণই সকলোৰে মনৰ ভাব বুজিব পাৰে; সেই কাৰণে তেওঁক

অন্তৰ্য্যামী বোলে। নাৰদৰ মনৰ এই অহঙ্কাৰ বুজিব পাৰি তেওঁ এদিন নাৰদক কলে—'দেৱৰ্ষি, তুমি বীণা বজোৱাত ওজা। এদিন আমাক তোমাৰ সকলোখিনি পাৰ্গতালি দেৱ-সমাজত দেখুৱাব লাগে।'

নাৰদ সন্মত হ'ল। দেৱতাসকলৰ সমাজ বহিল। যক্ষ, ৰক্ষ, গন্ধৰ্ব, কিন্নৰ, দানৱ, মানৱ সকলোৱে নাৰদৰ বীণ বজোৱা ওস্তাদি চাবলৈ আহি দেৱপুৰী বেৰি ধৰিলে। সভাত উদ্ধৱ, হনুমান আদি ভক্তসকলো উপস্থিত আছিল।

যথা সময়ত ভগৱান কৃষ্ণৰ আদেশ পাই নাৰদে বীণ বজাবলৈ আৰম্ভ কৰিলে। বীণাৰ সুললিত সুৰত গোটেই সমাজ কাঁহ পৰি জীণ গ'ল। লাহে লাহে সুৰৰ ঝঙ্কাৰ ইমান বাঢ়িল যে তাত কৃষ্ণত বাহিৰে সকলো সমজুৱাই মূৰ নচুৱাই তাল ধৰিবলৈ ধৰিলে। কিছু পৰৰ পিছত; ক্ৰমে ক্ৰমে সুৰ আকৌ নিস্তব্ধ হ'ল। কৃষ্ণই ভক্ত হনুমানৰ ফালে চাই গহীনাই সুধিলে—'কপিনায়ক, কেনে পালা? সুৰ ঠিক হৈছে নে?'

বান্দৰ এটাক তেনেকৈ নাৰদৰ বীণাৰ সুৰ সম্বন্ধে মত দিবলৈ কোৱাত আনে যিয়েই নাভাবক, নাৰদে নিজে হলে অন্তৰত ঘোৰ অপমান বোধ কৰিলে। তেওঁ জগদীশ্বৰ কৃষ্ণৰ তেনে কথা শুনি বিতৃষ্ণা আৰু বেজাৰত মুখ ঘূৰাই নত-মস্তক হৈ ৰ'ল। শ্ৰীকৃষ্ণে নাৰদৰ মনৰ ভাব বুজিব পাৰি সুধিলে—'দেৱৰ্ষি, তুমি যেখোন বিষণ্ণ হলা? তোমাৰ কি হ'ল। হনুমানক সঙ্গীতৰ পৰীক্ষক পতাত ক্ষুণ্ণ হলা হবলা?'

নাৰদে কলে—'হয় প্ৰভুৰ সভাত ইমানবোৰ সঙ্গীতজ্ঞ লোক থকা সত্বেও মোৰ সঙ্গীতৰ বিষয়ে মন্তব্য সুধিলে আপুনি এটা বনচৰ ডন্দুৰা বান্দৰক। বান্দৰে জানো কেতিয়াবা সঙ্গীত বুজে? ইয়াৰ দ্বাৰা আপুনি অকল মোকেহে যে লাজ দিছে এনে নহয়, সঙ্গীতজ্ঞ সুধীসকলকো অপমান কৰিছে। প্ৰভু, ই তোমাৰ কেনে কাৰ্য্য বুজিব নোৱাৰিলোঁ।'

কৃষ্ণই তেতিয়া কলে—'ভক্ত নাৰদ, তুমি ভাবিছা মই তোমাক অপমান কৰিবলৈহে কপিশ্ৰেষ্ঠক তোমাৰ গীতবাদ্যৰ বিষয়ে মন্তব্য সুধিছোঁ। কিন্তু সেইটো ভুল। বৰাচলতে তেওঁ উত্তম সঙ্গীত জানে। বাৰু, তুমি তোমাৰ বীণখনকে এবাৰ তেওঁক দিয়াচোন, তেওঁ বজাই দেখুৱাওক।'

নাৰদ এইবাৰ অধৈৰ্য্য নহৈ নোৱাৰিলে। তেওঁ বিৰক্তিত কৈ উঠিল— 'বীণা বৰ আলসুৱা যন্ত্ৰ, প্ৰভু! সেইবাবে বেয়া হোৱাৰ ভয়ত কোনেও কাৰো বীণা আনক বজাবলৈ নিদিয়ে। তাতে এইখন মোৰ কিমান প্ৰিয় তাক তুমি জানা। মই ইয়াক মোৰ প্ৰাণটোতকৈও বেছি ভাল পাওঁ। বান্দৰে পালে জানোচা তাক নখেৰে আকুহি-বাকুহি তেনেই নষ্ট কৰি পেলায় – এয়ে মোৰ ভয়। গতিকে মোক এনে নিষ্ঠুৰ আদেশ দিয়ে কিয়, প্ৰভু?'

'বেয়া হলে মোৰ গাত বাক'—এই বুলি শ্ৰীকৃষ্ণে নিজেই সকলো দায়িত্ব গ্ৰহণ কৰি বীণখন আনি হনুমানৰ হাতত তুলি দিলে, আৰু এটা গৎ বজাবলৈ কলে।

হনুমানে ধীৰ-স্থিৰ-নিৰুদ্বেগভাৱে বীণখনি লৈ 'ৰঘুপতি ৰাঘৱ' গীতৰ মধুৰ সুৰ এনে দক্ষভাৱে বজাবলৈ ধৰিলে যে নাৰদকে আদি কৰি সমজুৱা-সকলে একেমুখে সকলোৱে চাবাইচ, চাবাইচ কৰি উঠিল। হনুমানৰ বীণৰ সুৰৰ লহৰীয়ে খন্তেকৰ কাৰণে দেৱ-সমাজত স্বপ্নৰ আৱেশ আনি দিলে। বীণ বজোৱাৰ পাৰ্গতালিত হনুমানে এইবাৰ নাৰদকো হেলাৰঙে চেৰ পেলালে।

সুৰ শেষ হ'লত হনুমানে লাহেকৈ বীণখন শিল এচটাৰ ওপৰত থলে, আৰু সকলোকে প্ৰণাম কৰি থিয় হ'ল। নিজৰ অজ্ঞতাৰ কাৰণে লাজ পাই নাৰদে তেতিয়া ভগৱান কৃষ্ণক ক্ষমা খুজিলে। শ্ৰীকৃষ্ণে মিচিকিয়াই হাঁহি কলে—'দেৱৰ্ষি, যি হ'ল হ'ল বাৰু; এতিয়া তুমি তোমাৰ বীণা হাতত তুলি লোৱা।'

কৃষ্ণৰ আদেশ পাই নাৰদে বীণখনি তুলি লবলৈ চাই দেখে; ই যেন ভীষণ গধুৰ হৈ পৰিছে। গাৰ বলেৰেও তুলিব নোৱাৰি তেওঁ কৃষ্ণক কলে—'প্ৰভু, বান্দৰে মোৰ বীণত নিশ্চয় কিবা তন্ত্ৰ-মন্ত্ৰ কৰিছে; বীণখন মাটিত লাগি ধৰিছে, এৰাব নোৱাৰি। সেই কাৰণেই মই বীণখন তাক দিব খোজা নাছিলোঁ।—ইন্দুৰে কি সিন্দুৰৰ মোল পাব?'

শ্ৰীকৃষ্ণে তেতিয়া সমজুৱাসকলৰ ফালে চাই কলে—'সুধীসকল, আপোনা-লোকৰ কোনো পাৰে বীণখন তুলি দেৱৰ্ষিৰ হাতত দিয়কচোন। বাৰ্দ্ধক্যৰ হেতুকে হয়তো তেওঁ তুলিবলৈ সমৰ্থ হোৱা নাই।'

কথা শুনি একে একে সকলোৱে চেষ্টা কৰিলে—হনুমানত বাহিৰে। কিন্তু তাহানি হৰৰ ধনু তুলিব নোৱাৰাৰ দৰে কোনেও হলে তুলিব নোৱাৰিলে।

ভগৱান কৃষ্ণে আকৌ তেতিয়া ৰহস্যপূৰ্ণ হাঁহি এটা মাৰি কলে—'আপোনালোকে জানেনে কি গুণত শিলচটাৰপৰা বীণখন খুঁটা হৈ পৰিছে?' তেতিয়া এজন সঙ্গীত-বিদ্যাবিশাৰদ গন্ধৰ্ব্বই উঠি কবলৈ ধৰিলে—'প্ৰভু, মোৰ বিশ্বাস, হনুমানে যেতিয়া অপূৰ্ব্ব সুৰত বীণ বজাইছিল, তেতিয়া পাথৰো কোমল হৈছিল। তেনেকুৱা কোমল শিলৰ ওপৰত বীণখন থোৱাত বীণ শিলৰ বুকুত সোমাই পৰিল। গীতৰ সুৰ মাৰ যোৱাত শিল এতিয়া টান হ'ল। বীণখন সেইবাবে তাত লাগি ধৰিছে।'

কথা শুনি শ্ৰীকৃষ্ণে সাধু সাধু বুলি প্ৰশংসা কৰিলে আৰু নাৰদৰ ফালে চাই কলে—'ভক্ত, তুমি এতিয়া গীতৰ সুৰত শিল গলাই লৈ তোমাৰ বীণ তুলি লোৱা।' কৃষ্ণৰ আদেশত নাৰদে নো কিমান গীতকে নাগালে, কিন্তু সকলো মিছা হ'ল। শিল নগলিল। লাজ আৰু অপমানত নাৰদ নীৰৱ হ'ল।

কৃষ্ণই হনুমানক ইঙ্গিত দিলে—পুনৰ গীত গাবলৈ। হনুমানে এইবাৰ হাতৰ তালি দিয়েই অতীব মধুৰ সুৰত ৰাম ৰাম গাবলৈ ধৰিলে। গীতৰ কৰুণ সুৰত সমজুৱাসকলৰ চকুলো অতৰ্কিতে বাগৰি গ'ল। শিল গলিল। হনুমানে গীতৰ সুৰৰ লগতেই নাচ দিয়াৰ চলেৰে মাটিৰপৰা বীণখন তুলি ললে আৰু সনম্ৰে নাৰদক দিলে।

গীত শেষ হ'ল। নাৰদে পুনৰ নিজৰ বীণ হাতত লৈ আসনত বহি পৰিল। সমজুৱাসকলে এই সকলোবোৰ কাৰ্য্য কিবা এক অপূৰ্ব্ব ভেল্কি-ভোজবাজী উপভোগ কৰাৰ দৰে উপভোগ কৰিলে।

নাৰদে তেতিয়া ভক্ত হনুমানক তালকৈ চিনিব পাৰি মৰমত আকোৱালি ধৰিলে, আৰু নিজৰ অশিষ্টাচাৰৰ কাৰণে অনুতাপ কৰি তেওঁক ক্ষমা কৰিবলৈ কলে।

সেইদিনা ইমানতে সভা ভঙ্গ হ'ল।

(২)

আৰু এদিনৰ কথা। নাৰদে কৃষ্ণৰ আগত আপত্তি কৰিলেহি—'প্ৰভু, আপুনি হেনো সিদিনা সকলোৰে আগত কৈছে যে আপোনাৰ ভক্ত-সকলৰ ভিতৰত ধৰাৰ এচুকে থকা সেই গাঁওখনৰ বুঢ়া খেতিয়কজনহে হেনো সবাতোকৈ শ্ৰেষ্ঠ। কথাটো শুনি মই তাক নিজে এবাৰ চাই আহিলোঁগৈ। সি দেখোন ৰাতিপুৱা এবাৰ আৰু সন্ধ্যা এবাৰ বাজো তোমাৰ নাম লয়। বাকী সময়ত সি খেতিৰ কামতে মগ্ন থাকে। আমি ইমানবোৰ ভক্তই দিনে-ৰাতিয়ে তোমাৰ নাম এনেয়ে লওঁ হবলা?'

শ্ৰীকৃষ্ণে হাঁহি এটি মাৰি কলে—'তোমাক তো মই ক্ষুদ্ৰ বোলা নাই। তুমিও মোৰ পৰম ভক্ত। পিছে কোন বেছি ডাঙৰ সেইটো কোৱা টান। বাৰু পৰীক্ষাকে চোৱা যাওক। তুমি এটা বাটিত এবাটি পনী আনা।' নাৰদে আনিলে। ভগৱান কৃষ্ণই তাত আৰু অলপ পানী ঢালি দি কাণৰ সমান কৰি দিলে। বাটিটো ছিপ্-ছিপীয়া হৈ ভৰিল। তেতিয়া তেওঁ নাৰদক কলে, 'তুমি এতিয়া এই পনী-বাটি লৈ নন্দন কাননৰ চৰিওকালে এপাক ঘূৰি আহা। চাবা যাতে পানী এটোপাও নপৰে।' নাৰদ সেইমতে গ'ল।

ঘূৰি আহি নাৰদ যেতিয়া সভাস্থল পালেহি তেতিয়া শ্ৰীকৃষ্ণই সুধিলে—'বাৰু নাৰদ, তুমি ভাটি কব পাৰিবা নে যে বাটিৰ পানী এটোপাও পৰা নাই?

নাৰদে কলে 'নাই প্ৰভু, এটোপা কিয়, এক বিন্দু পানীও পৰা নাই। মই সেই বিষয়ে ভাটি কব পাৰো।'

শ্ৰীকৃষ্ণ—তুমি পানী-বাটি নিওঁতে কি চিন্তা কৰি গৈছিলা? অৰ্থাৎ ক'ত তুমি মনোনিৱেশ কৰিছিলা?

নাৰদ—প্ৰভু, মই পনী-বাটিত নজৰ ৰাখি পানী যাতে নপৰে তাৰ বাবেই সাৱধানে গৈছিলোঁ। অন্য চিন্তা মোৰ একো নাছিল।

শ্ৰীকৃষ্ণ—তুমি মোৰ কথাও ভবা নাছিলা নে?

নাৰদ—প্ৰভু, সঁচাকৈ কবলৈ হলে—মই সেই সময়ত আপোনাৰ কথাও পাহৰি গৈছিলোঁ।

শ্ৰীকৃষ্ণে তেতিয়া গহীন হৈ উত্তৰ দিলে—'তেন্তে নাৰদ, তাহি চোৱাচোন, এই ক্ষুদ্ৰ কৰ্ত্তব্যকেৰা কৰোঁতেই তুমি মোক পাহৰি গৈছিলা। সেই খেতিয়কজনৰ নিজৰ সংসাৰ এখন আছে। তাৰে চিন্তাত সি ব্যস্ত। তথাপি সি পুৱা-গধূলি মোৰ নাম লবলৈ নাপাহৰে। তাৰ কৰ্ত্তব্য দিনে-নিশাই লাগিয়ে আছে। তাৰ মাজতো সি সময় উলিয়াই মোৰ নাম সদায় লৈ আছে। এনেস্থলত তাক মোৰ শ্ৰেষ্ঠ ভক্ত বোলাত তুমি অপমান বোধ কৰিছা কিয়?

নাৰদ নীৰৱ হ'ল। সমজুৱাসকলে কথাৰ গুৰুত্ব বুজি খুব ভুপিয়াই শলাগিলে।

ডাঙৰ কোন

এখন দেশত এজন ৰজা আছিল, নাম বিশ্বধৰ। তেওঁ বৰ ধাৰ্ম্মিক ৰজা আছিল। গৃহস্থীত থাকি ৰাজকাৰ্য্য পৰিচালনা কৰি যিকণ আহৰি পাইছিল সেই সময়খিনিত তেওঁ বেদ, উপনিষদ, ভাগৱত, পুৰাণ আদি অধ্যয়ন কৰিছিল। গাৰ্হস্থ্য ধৰ্মত থাকি শাস্ত্ৰাদি অধ্যয়ন কৰি তেওঁ অন্তৰত উপলব্ধি কৰিছিল যে সংসাৰত্যাগী হৈ সন্ন্যাসী হোৱাতকৈ গৃহস্থীত থাকি প্ৰকৃত গাৰ্হস্থ্য ধৰ্ম্ম পালন কৰা বেছি ডাঙৰ কাম; আৰু সেইবাবে সন্ন্যাসীতকৈও গৃহী ডাঙৰ। তথাপি বিষয়টো খৰচিমাৰি বুজিবৰ কাৰণে তেওঁৰ মনত সদায় বৰ খু-দুৱনি।

ৰজাৰ সভালৈ নানা দেশৰপৰা পণ্ডিত আৰু সন্ন্যাসীসকল আহে। ৰজাই তেওঁলোকক যথাবিহিত আদৰ অভ্যৰ্থনা কৰে আৰু ছেগ বুজি তেওঁলোকৰ আগত প্ৰশ্ন তোলে—'গৃহী ডাঙৰ নে সন্ন্যাসী ডাঙৰ'? যিসকল সন্ন্যাসীয়ে শাস্ত্ৰৰ যুক্তিৰে সন্ন্যাসী ডাঙৰ বুলি বিশ্বাসযোগ্য প্ৰমাণ দিব নোৱাৰে তেওঁলোকক ৰজাই গৃহী হবলৈ উপদেশ দি বিদায় দিয়ে।

বহুত দিনৰ পিছত এদিন এজন পণ্ডিত সন্ন্যাসী ৰাজ সভালৈ আহিল। তেওঁৰ নাম আছিল কল্যাণক। ৰজাই তেওঁক আদৰ অভ্যৰ্থনা কৰি থুৱাই-বুৱাই উঠি আগৰদৰে প্ৰশ্ন কৰিলে—'গৃহী ডাঙৰ নে সন্ন্যাসী ডাঙৰ ? সন্ন্যাসীয়ে গম্ভীৰভাৱে উত্তৰ দিলে—'দুয়ো ডাঙৰ।'

কথা শুনি ৰজা অলপ আচৰিত হ'ল। তেওঁ আগতে এনে উত্তৰ কাৰোপৰা পোৱা নাছিল। সাধৰণতে সন্ন্যাসীসকলে পোনে পোনেই সন্ন্যাসী ডাঙৰ বুলি উত্তৰ দিছিল। ৰজাই সন্ন্যাসী কল্যাণকক সুধিলে—'গৃহী আৰু সন্ন্যাসী দুয়ো কেনেকৈ ডাঙৰ হ'ব ? দুয়োৰো ভিতৰত কোনোবা এজন নিশ্চয় বেছি ডাঙৰ হ'ব লাগিব। আপুনি ভালকৈ ভাবি-গুণি চাই উত্তৰ দিয়ক। কিন্তু মনত ৰাখিব, আপোনাৰ কথা যুক্তিৰে প্ৰমাণ কৰিব নোৱাৰিলে আপুনি সন্ন্যাস ত্যাগ কৰি গৃহী হ'ব লাগিব।'

কল্যাণকে অলপকৈ হাহি পুনঃ সেই একে উত্তৰকে দিলে—'দুয়ো ডাঙৰ।' ৰজাই প্ৰমাণ দিবলৈ কলে। ৰজাৰ কথাত কল্যাণকে কলে—'মহাৰাজ; প্ৰমাণ দিয়া মোৰ কাৰণে উজু কাম। কিন্তু সেই প্ৰমাণ লোৱাহে আপোনাৰ কাৰণে কিছু কষ্টকৰ হ'ব। কাৰণ, কোনোদিন চেনি নোখোৱা মানুহক চেনিৰ সোৱাদ যুক্তিৰে বুজোৱা কঠিন। চাকি চালেহে তাৰ সোৱাদ কেনে বুজিব পাৰি। আপুনিও সন্ন্যাস ধৰ্ম্মৰ সোৱাদ নিজে নাপালে আনৰ যুক্তিত তাক বুজিব নোৱাৰিব। যদি অগত্যা তাক বুজিব খোজে তেনেহলে দুখে-কষ্টই হাবিয়ে-জঙ্ঘলে ফুৰিবলৈ মন বান্ধি লওক আৰু আজিয়ে মোৰ লগত ওলাওক।'

ৰজাই ভাবি-চিন্তি চাই ৰাজ্যভাৰ মন্ত্ৰীৰ ওপৰত দি সন্ন্যাসী, হোৱাটোকেই স্থিৰ কৰিলে। তেওঁ ৰাজ্যৰ মুখিয়াল মুখিয়াল লোকসকলক মাতি ৰাজসভা পাতি সকলোৰে আগত নিজৰ অভিলাষৰ কথা বুজাই কলে আৰু মন্ত্ৰীৰ মূৰত ৰাজ-মুকুট নিজহাতে পিন্ধাই দি নিজে সন্ন্যাস গ্ৰহণ কৰিবলৈ ওলাল। তেওঁ কৌপিন পিন্ধি সন্ন্যাসী সাজিলে।

বিত্তোপন ৰাজপুৰী এৰি ৰজা বিশ্বধৰ আৰু সন্ন্যাসী কল্যাণক দুয়ো গৈ গৈ এখন অটব্য অৰণ্য পালে। বাটত কল্যাণকে ৰজাক অনেক দেশ-বিদেশৰ গল্প, তীৰ্থ-ভ্ৰমণৰ অনেক আচৰিত আচৰিত কাহিনী, শাস্ত্ৰ-ভাগৱতৰ নানা প্ৰকাৰ আখ্যান আদি কৈ ভ্ৰমণৰ দুখ-ভাগৰ পাহৰাই

নিছিল। ৰজায়ো এইবোৰ শুনি গৈ থাকোঁতে লোক-পিয়াহ সকলো পাহৰি গৈছিল। কল্যাণকৰপৰা এইবোৰ কথা শুনি তেওঁ মনতে ভাবি-ছিল—গৃহী হৈ ল'ৰা-তিৰোতা, ধন-বস্তুবিৰ কথা চিন্তা কৰি অকালত কাল কটোৱাতকৈ ভগৱৎ চিন্তা কৰি, হৰিনাম গাই মুকলিমুৰীয়াভাৱে ফুৰিবলৈ পোৱাটো বেছি সুখকৰ।

এইদৰে গৈ গৈ নানা নৈ নলা পাৰ হৈ, নানা ঠাই এৰি দুয়ো এখন নতুন ৰাজ্যত প্ৰৱেশ কৰিলে। তেতিয়া তেওঁলোকে দেখিলে কিছু দূৰত এদল মানুহ ঢোল-খোল-পেপা-শিঙা বজাই আনন্দত উকলীকৃত হৈ গীত গাই আহিব লাগিছে। ৰজাই সুধিলে—'এই আনন্দ-আহ্লাদ, চিয়ঁৰ-বাথৰ কিহৰ নিমিত্তে? কল্যাণকে কলে—'হয়াৰ ৰাজকুমাৰী আকণিকাৰ অহা পূৰ্ণিমাৰ দিনা স্বয়ম্বৰ হব। তাৰবাবে এই মহোৎসৱ আৰম্ভ হৈছে।'

পূৰ্ণিমাৰ দিনা সন্ন্যাসঁয়ে ৰজাক কলে—'মহাৰাজ, আমিও আজি স্বয়ম্বৰ চাবলৈ যাওঁ ব'লক। তাতে নিশ্চয় নানা দেশৰ ৰজা-মহাৰজা, পাণ্ডত-যুৱৰাজ আদি আহিব আৰু সেই উপলক্ষে তাত নানা ধৰণৰ ৰং-ধেমালিও হব। বহুত যোগী-সন্ন্যাসীও এইবোৰ চাবলৈ তাতে আহিব।' ৰজা মান্তি হ'ল আৰু দুয়ো গৈ স্বয়ম্বৰ সভা-মণ্ডপত উপস্থিত হ'ল।

স্বয়ম্বৰ সভা অতি বিত্তোপনভাৱে সজোৱা হৈছিল। তাত শাৰী শাৰী যুৱৰাজসকল বহিছে। চাৰিওফালে নানা মাঙ্গলিক অনুষ্ঠান চলি আছে। সকলো লোক কাজে-কামে ব্যস্ত। এনে সময়ত ঢোল-তাল-শঙ্খ-ঘন্টা বাজি উঠিল আৰু ৰাজকন্যা আকণিকা হাতত স্বয়ম্বৰৰ দীঘল মালা লৈ সখী-সকলৰ উকলি-জোকাৰৰ মাজত ৰাজসভালৈ ওলাই আহিল। শাৰী শাৰী বহি থকা যুৱৰাজসকলৰ মাজেদি আকণিকা এবাৰ ঘূৰি গ'ল। ৰজাসকলৰ মাজেদিও ঘূৰিল। তথাপি কাৰো ডিঙিত এতিয়ালৈ মালা নপৰিল। সকলো লোক ব্যগ্ৰতাত উৎকণ্ঠিত হৈ পৰিল। ৰাজকন্যাৰ মালা কোন, ভাগ্যবানৰ মূৰত পৰে তাকে চাবলৈ সকলোৱে উদগ্ৰীৱ হৈ ৰ'ল।

আচৰিত কথা এই যে ৰাজকন্যা আকণিকাই কাৰো মূৰত মালাধাৰ নকৰি দুই-এখোজকৈ সভামণ্ডপৰপৰা বাহিৰৰ সিংহদ্বাৰৰ ফালে যাবলৈ ধৰিলে। কোনেও তেওঁৰ অভিপ্ৰায় বুজিব নোৱাৰিলে আৰু সকলোৱে তেধা লাগি চাই থাকিল। এনে সময়ত ৰাজকন্যাই গৈ প্ৰৱেশদ্বাৰত বহি

থকা থূলন্তৰ যুৱক সন্ন্যাসী এজনৰ ডিঙিত মাল্যদান কৰিলে। কাৰ্য্য দেখি আকণিকাৰ নিশ্চয় মতিভ্ৰম হৈছে বুলি সকলোৱে হায় হায় কৰিবলৈ ধৰিলে।

আকণিকাই আছিল ৰজাৰ একমাত্ৰ ছোৱালী। সেই কাৰণে ৰজাই সন্ন্যাসীৰ ওচৰলৈ গৈ কলে—'হে তপস্বী যুৱক! মোৰ কন্যা আকণিকাই যেতিয়া তোমাকেই পতি বৰণ কৰিছে, তুমি এই মুহূৰ্ত্তৰপৰা মোৰ জোঁৱাই হ'লা। মোৰ বক্তব্য এই যে মই অপুত্ৰক ৰজা। আকণিকাই মোৰ একমাত্ৰ সন্তান। গতিকে তোমাৰ প্ৰতি মোৰ এয়ে অনুৰোধ তুমি সন্ন্যাস ত্যাগ কৰি মোৰ ৰাজ্যত থাকা। মই আজিয়ে যৌতুকৰূপে মোৰ ৰাজ্যৰ আধা তোমাক দান দিম।'

যুৱক সন্ন্যাসীয়ে কিন্তু ৰজাৰ কথালৈ ভ্ৰূক্ষেপ নকৰিলে। তেওঁ হাঁহি এটা মাৰি ডিঙিৰ মালা টুকুৰাটুকুৰ কৰি ছিঙি মোহাৰি পেলালে আৰু ৰাজপুৰী এৰি বনৰ ফালে বেগাই খোজ ললে। আকণিকাও পাছে পাছে গ'ল। ৰজাই তেওঁক বলেৰে ধৰি ৰাখক বুলি সন্ন্যাসীয়ে পাছলৈ নাচাই তৰা-নৰা ছিঙি বেগ দিবলৈ ধৰিলে। তেওঁ শীঘ্ৰে গৈ এখন হাবিত সোমাল আৰু লুকাল। ৰাজ-সভাত হাহাকাৰ লাগিল।

ইফালে আকণিকায়ো সন্ন্যাসীৰ পিছত দৌৰি দৌৰি ভাগৰি পৰিল। ৰজাই বিৰক্তিত তেওঁৰ আশা এৰি দিলে। আকণিকাই সন্ন্যাসীক হাবিৰ মাজত বিচাৰি নাপালে। সুখৰ কোমল কোলাত ডাঙৰ হোৱা ৰাজকন্যাৰ ভৰি কাঁইটৰ আচোৰত তেজেৰে ৰাঙলী হৈ পৰিল। ভাগৰত তেওঁ এজোপা গছৰ তলত থকেকৰ কাৰণে বহিল।

এনে সময়ত কল্যাণক আৰু বিশ্বৰো দৈ সেই ঠাইত উপস্থিত হ'ল। কল্যাণকে ৰাজকন্যাক নানা প্ৰকাৰে প্ৰবোধ দি সন্ন্যাসী এজনক পতি বৰণ কৰি তেওঁ কিমান ডাঙৰ ভুল এটা কৰিছে—বুজাই দিলে। সেই সময়ত বেলি মাৰ গ'ল। এন্ধাৰে পৃথিৱী আগুৰি পেলালে। কল্যাণকে ৰাজকন্যাক ৰাতিটোৰ কাৰণে তেওঁলোকৰ আশ্ৰয়তে থাকিবলৈ কৈ পিছদিনা পুৱা ৰজাৰ নগৰত থৈ আহিবলৈ বুলি গাত ললে।

শোকে দুখে কাতৰ হৈ ৰাজকন্যায়ো কল্যাণকৰ উপদেশকে শিৰোধাৰ্য কৰি গছৰ গুৰিতেই ৰাতিটো কটাবলৈ স্থিৰ কৰিলে। ৰাতি হ'লত

কল্যাণকে সুললিত সুৰত ধৰ্মগীত গাবলৈ ধৰিলে। অলপ সময় গীত গাই থাকি গছৰ পাতৰ আঁৰত চৰাইৰ মাত শুনিবলৈ পাই তেওঁ গীত বন্ধ কৰিলে।

অলপ সময়ৰ পিছতেই চৰাইৰ ডেউকাৰ শব্দ শুনা গ'ল। কল্যাণকে বিশ্বধৰৰ আগত কবলৈ ধৰিলে—'সকবেপৰা মই চৰাই বৰ ভাল পাওঁ। চৰাইৰ লগত সদায় উমলি-জামলি থাকি মই সিহঁতৰ মাত বুজিব পৰা হৈছোঁ। এই গছজোপাত দুটা চৰাইৰ কথাবতৰা শুনি ইমান সময় মই নীৰৱে আছিলোঁ। এই গছজোপাত এহাল কপৌ আছে। পাতৰ আঁৰত সিহঁতে বাহ সাজি লৈছে। সিহঁতৰ দুটা পোৱালিও হৈছে। পিছে, আৰত আমি কষ্ট পোৱা দেখি মতা কপৌটোৱে কৈছে—'গছৰ গুৰিত তিনিজনা আলহী আছে। জাৰত বেচেৰিহঁতে চাগে বৰ কষ্ট পাইছে। গাৰ্হস্থ্য ধৰ্মমতে অতিথি সৎকাৰ আৰু আতুৰক সহায় কৰা সকলোৰে প্ৰধান কৰ্ত্তব্য। সেই কাৰণে তেওঁলোকৰ বাবে মই একুৰা জুই আনিবলৈ যাওঁ। কল্যাণকে ইয়াকে কোৱাৰ লগে লগে চৰাইৰ পাখিৰ শব্দ শুনা গ'ল। আৰু পিছ মুহূৰ্ত্তে এমুৰে জুই লাগি থকা শুকান কাঠ এডোখৰ তেওঁলোকৰ আগতে পৰিলহি। কল্যাণকে ওচৰৰপৰা কাঠ গোটাই আনি ভালকৈ জুই একুৰা ধৰিলে আৰু জাৰত কঁপি থকা ৰাজকন্যাকো ওচৰতে বহিবলৈ কলে।

দপ্ দপকৈ জুই জ্বলি আছে। এনেতে ওপৰৰপৰা চৰাই এটা আহি সেই জুইৰ মাজতে ধপচ্কৈ পৰিল। বিশ্বধৰ আৰু কল্যাণকে কষ্টেৰে চৰাইটো জুইৰপৰা উলিয়াই আনিলে, কিন্তু সি নাবাচিল। মুহূৰ্ত্তচেৰেকৰ ভিতৰতে এটা এটাকৈ বাকী তিনিটা চৰায়ো জুইত পৰি পুৰি মৰিল।

ঘটনাটো বিশ্বধৰৰ মনত সপোন যেন লাগিল। তেওঁ সেই ঘটনাৰ বহুত তাঙ্গিপাতি কৰবলৈ কল্যাণকক খাটিলে। কল্যাণকে কবলৈ ধৰিলে—'মহাৰাজ, ই বাস্তবিকে এটা শোকাবহ ঘটনা। এই মৰা কপৌটোৱে ঠোঁটত লৈ জুই আনি আমাক দিয়াৰ পিছত সিহঁতৰ মতা-মাইকীহালৰ মাজত অতিথি সৎকাৰ কি উপায়ে কৰা যায় সেই বিষয়ে আলোচনা হ'ল। অৱশেষত মতা কপৌটোৱে কলে—'প্ৰাণ দি হলেও অতিথি সৎকাৰ কৰা গৃহীৰ ধৰ্ম্ম। সেই কাৰণে ৰাতিৰ এই ভোকাতুৰ অতিথি তিনিজনৰ

কাৰণে মই জুইত জাপ দি মৰোঁ। তেওঁলোকে মোৰ মঙহ খাই পেটৰ ভোক অলপ গুচাওক। তুমি পোৱালিহাললৈ চাবা।' এই বুলি কৈয়েই সি জুইত পৰিলহি।

ইয়াৰ পিছত মাইকী কপৌজনীয়ে ভাবিলে—এটা চৰাইৰ মঙহেৰে তিনিটা অতিথিৰ কি হব? ময়ো সেই কাৰণে অতিথি সংকাৰৰ কাৰণে পতিয়ে দেখুৱাই দিয়া বাটকেই অনুসৰণ কৰা উচিত। এই কথা ভাই পোৱালি দুটাক বুজাই দি নিজে জুইত জাপ দিলে।

এইদৰে মাক-বাপেক দুয়ো গাৰ্হস্থ্যধৰ্ম্ম পালন কৰিবলৈ গৈ অতিথিৰ কাৰণে প্ৰাণ বিসৰ্জ্জন দিয়া দেখি চৰাই পোৱালি দুটাৰ মাজত পুনৰ কথা-বতৰা হবলৈ ধৰিলে যে—দুটা কণ কণ চৰায়ে তিনিটা ভোকাতুৰ লোকৰ কিনো ভোক পলাব? আমিও পিতৃ-মাতৃয়ে দেখুৱাই যোৱা আদৰ্শক লৈ জুইত পুৰি মৰা উচিত। তাকে কৰিলে অতিথি কেই-গৰাকীয়ে আমাৰ চাবিবো মঙহেৰে পেটৰ ভোক কিছু কমাব পাৰিব। ইয়াকে আলচ কৰি দুয়ো জুইত জাপ দিলে।'

কথা শুনি ৰজাই হুমুনিয়াহ কাঢ়িলে। এই ঘটনাৰ পিছত ৰজা আৰু সন্ন্যাসী দুয়ো কথাই-মাতে ৰাতিটো কটালে। ৰাতি পুৱালত আগতে কোৱামতে দুয়ো ৰাজকন্যাক তেওঁৰ পিতৃগৃহলৈ লৈ যাবলৈ ওলাল। ৰাজকন্যাই আগ নিশাৰ ঘটনাটো শুনি চকুলো টুকিলে আৰু নিজেও পতিৰ অবিহনে আত্মহত্যা কৰিবলৈ কল্যাণকৰ আদেশ খুজিলে।

কল্যাণকে কলে—'সন্ন্যাসী এজনক পতি বৰণ কৰি তুমি যি ভুল কৰিছা আত্মহত্যা কৰিলে সেই ভুলৰ দোষ আৰু বাঢ়িব। তাৰ উপৰিও ভগৱানৰ ওচৰত আত্মহত্যাৰ বাবে ক্ষমা নাই। সেই কাৰণে তোমাৰ এতিয়া একান্ত কৰ্ত্তব্য হৈছে পতিৰ মঙ্গল কামনা কৰা। তুমি পিতৃগৃহলৈ গৈ তাত সাত্বিকভাবে থাকি সদায় তোমাৰ পতিৰ মঙ্গলৰ কাৰণে প্ৰাৰ্থনা কৰিবা।' ৰাজকন্যায়ো তাকে কৰিবলৈ মনস্থ কৰিলে। বিশ্বধৰ আৰু কল্যাণকে তেওঁক নি পিতাকৰ হাতত শোধাই দি বনলৈ ঘূৰি আহিল।

ইয়াৰ পিছত নানা ঠাই ভ্ৰমণ কৰোঁতে কল্যাণকে ৰজাক কলে—'দেখিলে মহাৰাজ, গাৰ্হস্থ্যধৰ্ম্ম কিমান কঠোৰ। তাত আত্মদান দিও পৰৰ উপকাৰ কৰিব লাগে। আনফালে জাকো চাওক; যে.ড়শী পত্নী আৰু

হয়-হস্তী বন্দী-বেটীবে সৈতে ৰাজ্যলাভ কৰিও সন্ন্যাসীয়ে কেনেকৈ সেইবোৰ পৰিত্যাগ কৰে। দুয়োবো কৰ্ত্তব্য প্ৰকৃততে কিমান কঠোৰ ভাবি চাওক। গতিকে গৃহী আৰু সন্ন্যাসী সমান। দুয়ো নিজ কৰ্ত্তব্যৰ দ্বাৰা ভগৱৎ আৰাধনা কৰিব লাগে। ভগৱৎ প্ৰাপ্তিৰ এই দুয়োটা দুটা সুকীয়া পথ মাথোন।'

ইয়াকে কৈ কল্যাণকে সন্ন্যাসী বিশ্বধৰক নিজৰ ৰাজ্যৰ উন্নতি ৰাবলৈ উপদেশ দিলে। বিশ্বধৰো মান্তি হ'ল, কিন্তু তেওঁ কল্যাণকক নিজৰ ৰাজ্যত থাকিবলৈ অনুৰোধ কৰিলে। কল্যাণকে পুনৰ উপদেশ দি কলে— 'মহাৰাজ, সন্ন্যাসী আৰু গৃহী দুয়োবো কৰ্ত্তব্য সম্পূৰ্ণ পৃথক ধৰণৰ। এই কথা মই আপোনাক আগতে কৈছো। গতিকে আমাৰ মাজত চেনেহৰ যি মোহ উপজিব ধৰিছিল—তাক ইয়াতেই ছেদ কৰা উচিত।' ইয়াকে কৈ ৰজাক কল্যাণকে নি নিজ ৰাজ্যত থৈ বনলৈ গুচি গ'ল।

কৰ্ত্তব্যকে গীতাত কৰ্ম্মযোগ বোলা হৈছে। স্বামী বিবেকানন্দই আমেৰিকাত কৰ্ম্মযোগ সম্বন্ধে বক্তৃতা দিওঁতে ওপৰৰ আখ্যানটো উদাহৰণস্বৰূপে বৰ্ণনা কৰিছিল।

মদালসা

অতি পুৰণি কালত শত্ৰুজিৎ নামেৰে এজন ৰজা আছিল। নামত যেনে শত্ৰুজিৎ কামতো তেওঁ ঠিক শত্ৰুজিতেই আছিল। ওচৰৰ ৰজাসকলে তেওঁৰ পৰাক্ৰমৰ প্ৰশংসা কৰি তেওঁৰ লগত বন্ধুতা কৰিছিল।

তেওঁৰ ৰাজ্যৰ ওচৰতেই এখন অৰণ্যত বহুত ঋষিয়ে আশ্ৰম পাতি তপস্যা কৰিছিল। গালৱমুনি সেই ঋষিসকলৰে এজন। এবাৰ তেওঁ তপস্যা কৰি থাকোঁতে মায়াবী অসুৰবোৰে আহি নানা উৎপাত আৰম্ভ কৰিলে। তেতিয়া আশ্ৰমৰ অন্যান্য ঋষিসকলে লগ হৈ ৰজা শত্ৰুজিতৰ আগত আপত্তি জনালেগৈ। ৰজাই ভাবি-চিন্তি চাই তেওঁৰ একমাত্ৰ পুত্ৰ

ঋতধ্বজকেই ৰাক্ষস দমনৰ কাৰণে পঠালে। ৰজা শক্ৰজিৎ যেনে পৰাক্ৰমী আছিল, তেওঁৰ পুতেকো আছিল তেনে সাহসী।

ৰাক্ষসবোৰৰ ভিতৰত পাতালকেতু আছিল অতি দুৰ্দ্দান্ত। সি ইচ্ছা-মতে মায়া ধৰিব পাৰিছিল। ঋতধ্বজ যেতিয়া শৰ-ধনু হাতত লৈ ৰাক্ষস দমনৰ কাৰণে আশ্ৰমত থাপ লৈ আছিল ঠিক সেই সময়তে এদিন পাতাল-কেতুৱে এটা প্ৰকাণ্ড বৰাহৰ ৰূপ ধৰি আহি আশ্ৰমত উৎপাত আৰম্ভ কৰিলে। খবৰ পাই ঋতধ্বজে ধনু-শৰ লৈ ততালিকে খেদি গ'ল আৰু গাহৰিটোলৈ টোঁৱাই এপাট ডাঁথাল শৰ নিক্ষেপ কৰিলে। শৰৰ চোট পাই গাহৰিয়ে তৰা-নৰা ছিঙি লৰ দিলে। ঋতধ্বজেও ঘোঁৰাত উঠি পাছে পাছে খেদি গ'ল।

অনেক দূৰ গৈ গাহৰিটো হাবিৰ মাজতে কৰবাত লুকাল। গাহৰিৰ অন্বেষণত গৈ ঋতধ্বজ পৰ্ব্বতৰ এটা প্ৰকাণ্ড গুহাত সোমাল। গুহাৰ ভিতৰলৈ গৈ তেওঁ দেখে যে প্ৰকৃততে সেইটো এন্ধাৰ গুহা নহয়; এখন ধিতোপন ৰাজপুৰীৰ সি যেন এখন সিংহদ্বাৰহে। তাৰ ভিতৰত ফুলনি, পুখুৰী, আলি-পদূলি আদি অনেক আছে। এইবোৰ দেখি ৰাজকুমাৰ ঋতধ্বজ তেনেই অবাক হ'ল। তেওঁ কিন্তু তেতিয়াও ঘোঁৰাৰ পিঠিৰ পৰা নমা নাছিল। বুকুত বল বান্ধি তেওঁ ঘোঁৰাত উঠিয়ে সেই নগৰৰ চাৰিওফালে এপাক ঘূৰিলে। তাত তেওঁ ক'তো নৰ-মনিচৰ মাত এবাৰকে শুনিবলৈ নাপালে। তেওঁ মনতে এবাৰ ভাবিলে—মোৰ আগে আগে লৰি অহা গাহৰিটো এই পিনেই লুকাইছিলহি; ই হয়তো ইয়াতেই কৰবাত লুকাই আছে। তাকে ভাবি তেওঁ ঘোঁৰাটো গছ এজোপাত বান্ধি থৈ ইফালে-সিফালে ভুমুকিয়াই চাবলৈ ধৰিলে।

গাহৰি বিচাৰি ভুমুকিয়াই চাই ফুৰোঁতে অকস্মাৎ এটা সৰু ঘৰৰ ভিতৰত এজনী পৰম ৰূপৱতী গাভৰু ছোৱালী তেওঁৰ চকুত পৰিল। গাভৰু-জনী ঘৰটোৰ ভিতৰত বান্ধি থোৱা আছে আৰু তেওঁৰ চকুৰেদি ধুধাৰি চকু-লো বৈ গৈছে। ৰাজকুমাৰে ভাবিলে—এওঁ নিশ্চয় কোনোবা ৰাজ-কুমাৰী নতুবা অপেশ্বৰী; কোনোবা দুষ্ট লোকে ধৰি আনি বান্ধি থৈছে।

এনেতে ৰাজকুমাৰীয়ে মুখ ৰাঙি চাই ৰাজকুমাৰ ঋতধ্বজক দেখিবলৈ পালে। জীয়া মানুহ এজন তাত তেনেকৈ থিয় হৈ থকা দেখি তেওঁ

আচৰিত হ'ল। শোক সম্বৰণ কৰি তেওঁ ৰাজকুমাৰক কলে—'আপুনি কোন? কোনোবা মায়াবী ৰাক্ষস নে সঁচা মানুহেই? আপোনাৰ চেহেৰা দেখি মোৰ কিন্তু সন্দেহ হৈছে আপুনি জানোচা কোনোবা পথিক; বাট ভুল কৰি ইয়ালৈ আহিছে। যদি সেয়ে হয় তেন্তে তুৰন্তে প্ৰাণ লৈ পলাওক। আপুনি যমপুৰীলৈ আহিছে। ই দুৰন্ত অসুৰ পাতালকেতুৰ ৰাজপুৰী। আপোনাক কেনেবাকৈ দেখিলে সি আহি মাৰি পেলাব আৰু খাব।'

গাভৰুৰ কথাবোৰ শুনি ৰাজকুমাৰৰ মনত কৌতূহল উপজিল। তেওঁ কিন্তু অকণো ভয় নাখালে। অলপ ওচৰ চাপি গৈ তেওঁ গাভৰুৰ লগত অন্তৰঙ্গভাৱে আলাপ পাতিলে। দুয়োবো কথা দুয়ো ভালকৈ জানিলে।

এই গাভৰুৰেই নাম মদালসা। গন্ধৰ্ব্বৰাজ বিশ্বাবসুৰ এওঁ চেনেহৰ জীয়াৰী। পাতালকেতু দানৱে মায়া ধৰি গৈ এওঁক স্বৰ্গৰপৰা হৰণ কৰি আনিছে আৰু দানৱৰ লগত বিয়া সোমাবলৈ অমান্তি হোৱাত তেওঁক সেই-খৰে ঘৰৰ ভিতৰত বন্দী কৰি থৈছে।

মদালসাৰ জীৱনৰ করুণ কাহিনী শুনি কুমাৰ ঋতধ্বজৰ অন্তৰ সহানু-ভূতিত গলি গ'ল। তেওঁ মদালসাক সুধিলে—'তোমাক মই এতিয়াই ঘোঁৰাৰ ওপৰত তুলি ইয়াৰপৰা পলুৱাই নিব খুজিলে যাবানে?'

মদালসাই আনন্দেৰে সন্মতি দিলে। ৰাজকুমাৰে মদালসাক আলফুলকৈ কোকোলালে আৰু ঘোঁৰাৰ পিঠিত তুলি লৈ বায়ুবেগে চেকুৰ মেলিলে। বাটত পাতালকেতুৰ অনুচৰবৰ্গই ৰাজকুমাৰক দেখি শেনে খেদাখেদি খেদি দিলে। ৰাজকুমাৰ ঋতধ্বজে কিন্তু সিহঁতৰ সকলোকে শৰেৰে বিন্ধি পেলাই থৈ পিতৃগৃহত উপস্থিত হ'লগৈ।

অপৰূপ ধুনীয়া ৰাজকুমাৰী এজনীৰে সৈতে ৰাজকুমাৰক তেনে অৱস্থাত দেখি ৰাণী আনন্দ আৰু কৌতূহলত তেনেই বিহ্বল হ'ল। ৰাজ্যৰ বুঢ়া-মেথা, ডেকা-গাভৰু, ল'ৰা-ছোৱালী সকলোৱে ৰাজকুমাৰক চাবলৈ লৰি আহিল। খন্তেকৰ ভিতৰতে ৰাজ-হাউলি লোকে লোকাৰণ্য হ'ল।

ৰাজকুমাৰে আদ্যোপান্ত সকলো কথা বিবৰি কলে, আৰু যথাসময়ত মদালসাৰ লগত ৰাজকুমাৰৰ বিয়া হৈ গ'ল। ৰাজ্যৰ মানুহবোৰে তেতিয়া কবলৈ ধৰিলে—'সোণৰ লগত সুৱগাৰ মিলন হ'ল : ৰূপত ৰহণ চৰিল।'

ৰজা-ৰাণীৰ এতিয়া আনন্দ চায় কোনে? পুত্তেক-বোৱাৰীয়েকৰ আনন্দ দেখি তেওঁলোকে পৃথিৱীতেই স্বৰ্গৰ সুখ অনুভৱ কৰিলে। ৰজা-প্ৰজা সকলোৰে কাৰণে সপোন-সুখৰ মায়াপুৰী দিঠকত উপস্থিত হ'ল।

এইদৰে বহুত দিন কাটি গ'ল। এনেতে এদিন ঋষিসকলৰ আশ্ৰমৰপৰা আকৌ খবৰ আহিল—আশ্ৰমত পুনৰ দৈত্য-দানৱৰ উৎপীড়ন আৰম্ভ হৈছে। এই খবৰত মহাৰাজৰ নিৰ্ম্মল মন চিন্তা ভাৱে আৱৰি পেলালে। খবৰ গৈ যেতিয়া ৰাজকুমাৰ ঋতধ্বজৰ কাণত পৰিল তেওঁ তেতিয়াই প্ৰমোদ-কাননৰপৰা লৰি আহিল আৰু পিতৃ-মাতৃক নমস্কাৰ কৰি তেওঁ পুনঃ দৈত্য দমনৰ কাৰণে ঋষিসকলৰ আশ্ৰমলৈ যাবলৈ ওলাল। ৰজা-ৰাণীয়ে ৰাজ-কুমাৰৰ মঙ্গলৰ কাৰণে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰি সজল নয়নে ৰাজকুমাৰ ঋতধ্বজক বিদায় দিলে। মদালসায়ো আকুল অন্তৰেৰে ভগৱানক খাটিলে—'প্ৰভু, মোৰ স্বামীৰ যেন কোনো বিপদ-আপদ নহয়। বিদায়ৰ সময়ত মদালসাৰ চকুৰেদি দুধাৰি অশ্ৰু বাগৰি গ'ল। ৰাজকুমাৰ যেতিয়াত দূৰৈ দূৰত অদৃশ্য হোৱালৈকে তেওঁ সেইপিনে একেথৰে চাই থাকিল। চাওঁতে চাওঁতেই তেওঁৰ মনৰ নন্দনকাননক বিৰহৰ নিঠুৰ তাপে ডেইপুৰি মৰুভূমিত পৰিণত কৰিলে।

ৰাজকুমাৰ ঋতধ্বজ গ'ল; কিন্তু তেওঁ যোৱাৰেপৰা মদালসাৰ সোঁ-চকু আৰু আৰু সোঁ-বাহু নাচিবলৈ ধৰিলে। তেওঁৰ মন তেনেই অস্থিৰ হৈ পৰিল। বিনা কাৰণতেই চকুৰেদি চকুলো বৰলৈ ধৰিলে। এনেবোৰ অশুভ লক্ষণত তেওঁৰ অন্তৰে প্ৰমাদ গণিলে। তেওঁ স্বামীৰ কল্যাণৰ অৰ্থে ভগৱানৰ ওচৰত সদায় পুৱা-গধূলি আকুলভাৱে প্ৰাৰ্থনা কৰিবলৈ ধৰিলে।

গালৱঋষিৰ আশ্ৰমত বাণ-বিদ্ধ হৈ মায়াবী ৰাক্ষস পাতাল-কেতুৱে প্ৰাণ এৰিলে। পাতালকেতুৰ এজন ভায়েক আছিল—নাম তালকেতু। পূৰ্ব্বে হিৰণ্যাক্ষক বৰাহৰূপী বিষ্ণুৱে বধ কৰাত তেওঁৰ ভায়েক হিৰণ্যকশিপু যিদৰে বিষ্ণুবৈৰী হৈ উঠিছিল পাতালকেতু মৰাত ভায়েক তালকেতুও সেইদৰে ঋতধ্বজৰ শত্ৰু হৈ উঠিল। ঋতধ্বজক বধিবৰ কাৰণে তেওঁ প্ৰতিজ্ঞা কৰিলে। কিন্তু বলেৰে সেইটো সম্ভৱ নহয়। গতিকে মায়া কৰি তেওঁ মুনিৰ বেশ ধৰি আহি যমুনাৰ তীৰত আশ্ৰম পাতি বহিল। এইবাৰ নিশ্চিন্ত হৈ শত্ৰুক শালিবলৈ মনতে পাঙি এদিন তেওঁ ঋষিৰ বেশত ৰাজনগৰলৈ গ'ল

আৰু তেওঁৰ আশ্ৰমত পুনৰ ৰাক্ষসৰ উৎপাত আৰম্ভ হোৱা বুলি কৈ ৰজাৰ ওচৰত সহায় ভিক্ষা কৰিলে গৈ। মায়াবী দানৱৰ ছলনা বুজিব নোৱাৰি ৰাজকুমাৰ ঋতধ্বজে প্ৰাণৰ প্ৰিয়তমাকো এৰি আশ্ৰম ৰক্ষাৰ হেতুকে এইবাৰ আকৌ ওলাই আহিল।

ঋষিৰ লগত আহি তেওঁ দেখে যে আশ্ৰমত ক'তো একো উৎপাত হোৱা নাই। মুনিবেশী তালকেতুৱে ভালৰি বোলাই কলে —'ৰাজকুমাৰৰ আগমনৰ বাৰ্ত্তা পায়েই ৰাক্ষসবোৰ পলাইছে; আৰু তেওঁ উভতি গলেই পুনৰ সিহঁত আহি আশ্ৰম লণ্ডভণ্ড কৰিব।' ৰাজকুমাৰে সেই কথা বিশ্বাস কৰিলে আৰু কিছুদিনৰ কাৰণে আশ্ৰমতে থাকিবলৈ স্থিৰ কৰিলে।

এইদৰে দিনচেৰেক পাৰ হৈ গ'ল। এদিন তালকেতুৱে ৰাজকুমাৰক কলে—'ৰাজকুমাৰ, বহুদিনৰপৰা মোৰ এটা যজ্ঞ কৰিবলৈ বৰ মন আছিল। ৰাক্ষসৰ উৎপাতৰ ভয়ত আশ্ৰম এৰি যাব নোৱাৰা কাৰণে অৰ্থ-সংগ্ৰহ কৰিব পৰা নাছিলোঁ। দক্ষিণা নহলে যজ্ঞ পাতো কেনেকৈ। আপুনি যদি সদয় হৈ আপোনাৰ ডিঙিৰ মুক্তাহাৰডাল এই ভিখাৰী মুনিক দান কৰে তেনেহলে মোৰ এইফেৰা অভিলাষ পূৰ হব পাৰে : নহলে নাই। শাস্ত্ৰমতে এনে দানৰ কাৰণে আপোনাৰ অশ্বমেধ যজ্ঞ কৰাৰ সমান পুণ্য হব।'

ৰাজকুমাৰে তালকেতুৰ কথাত প্ৰত্যয় মানিলে আৰু নিজৰ ডিঙিৰ মুক্তাহাৰডাল ঋষিৰূপী দানৱক দান কৰিলে। হাৰডাল পাই ঋষিয়ে ৰাজকুমাৰৰ হাতত আশ্ৰম ৰক্ষাৰ ভাৰ দি যজ্ঞৰ সম্ভাৰ গোটাবলৈ তেওঁ বাহিৰ হ'ল। ৰাজকুমাৰেও আশ্ৰমৰ চাৰিওফালে সতৰ্কভাৱে পহৰা দিবলৈ ধৰিলে।

পিছে, মায়াবী ৰাক্ষসে ক'ত যজ্ঞ কৰিব? তেওঁ ৰাজকুমাৰৰ ডিঙিৰ মুক্তাহাৰডাল পাই পোনেই ৰজাৰ নগৰলৈ যাত্ৰা কৰিলে। তেওঁ গৈ তাত কান্দি কান্দি ৰজাৰ আগত কলে, মহাৰাজ, অতি অসহনীয় বাৰ্ত্তা, ভাবিলেই বুকু ফাটিব খোজে। দানৱসকলৰ লগত যুঁজ কৰোঁতে ৰাজকুমাৰ ঋতধ্বজৰ নিধন হ'ল।' বাতৰিটো খন্তেকতে ৰাজপুৰীত সৰবি হৈ পৰিল আৰু ৰাজপুৰীত কান্দোনৰ ৰোল উঠিল। ঋষিৰ মুখৰপৰা নিজ কাণে সকলো খবৰ শুনিবৰ অভিপ্ৰায়ে মদালসাও কান্দি কান্দি ওলাই আহিল। ঋষিয়ে সজল নয়নে সকলো খবৰ পুনঃ মদালসাৰ আগত বিৱৰি কলে আৰু ৰাজ-

কুমাৰৰ ডিঙিৰ হাৰডালকে চিন-স্বৰূপে তেওঁৰ হাতত দি বেজাৰ মনেৰে তেওঁ উভতিল।

স্বামী-বিয়োগৰ নিষ্ঠুৰ বাতৰি পাই মদালসা আৰু স্থিৰে থাকিব নোৱাৰিলে। তেওঁ কিছুপৰ হিয়াধুনি কান্দিলে আৰু তাৰ পিছত স্বামীৰ সহগামিনী হোৱাই পতিব্ৰতা নাৰীৰ কৰ্ত্তব্য বুলি ভাবি একুৰা প্ৰকাণ্ড জুই ধৰি লৈ তাতে নিজৰ দেহ বিসৰ্জ্জন দিলে। ৰাজপুৰী শোকসাগৰত তেনেই বুৰ গ'ল।

যমুনাৰ পাৰলৈ উভতি আহি তালকেতুই দেখে যে ৰাজকুমাৰ ঋতধ্বজে তেতিয়াও সযতনে মুনিৰ আশ্ৰম ৰক্ষা কৰি আছে। সি ঋষিৰ বেশত প্ৰথমে আশ্ৰমৰ কুশল-মঙ্গল সুধিলে আৰু তাৰ পিছত কলে—'আপোনাৰ অনুগ্ৰহত এতিয়া আশ্ৰম দৈত্য-দানৱৰ উৎপীড়নৰ পৰা ৰক্ষা পৰিছে। এই অৱস্থাত মই নিশ্চিন্ত মনে যজ্ঞ কৰিব পাৰিম। মোৰ আৰু ভয় নাই। আপুনি বহুতদিন আশ্ৰমতে থাকিল। এতিয়া আপোন ৰাজ্যলৈ উলটি যাওকগৈ। আকৌ কেতিয়াবা যদি কিবা বিপদ-বিঘিনি হয়—তেনেহলে আপোনাক শীঘ্ৰে খবৰ দিম গৈ।'

ৰাজকুমাৰ ঋতধ্বজে তেতিয়া ঋষিক প্ৰণাম জনালে আৰু বিদায় লৈ তেওঁ ঘৰলৈ উভতিল। ঘৰ পাই যি দেখিলে, যি শুনিলে তাত তেওঁ মৰ্ম্মাহত হ'ল। প্ৰিয়তমা পত্নী মদালসাৰ বিয়োগ বাতৰিত তেওঁ ধৈৰ্য্য ধৰি থাকিব নোৱাৰিলে, মূৰ্চ্ছা গ'ল।

ৰজাঘৰীয়া বেজ-কবিৰাজসকলৰ অশেষ যত্নত ৰাজকুমাৰে সংজ্ঞা লাভ কৰিলে স'চা, কিন্তু তেওঁ তেনেই বলিয়াৰ নিচিনা হ'ল। খোৱা-বোৱাত তেওঁৰ একো ৰুচি নোহোৱা হ'ল; শিক্ষা-উৰাব তেওঁ লাক্-পাক এৰিলে; ৰং-ধেমালিৰ নামকেই সুগুনাত পৰিল। হা-হুমুনিয়াহেই তেওঁৰ সঙ্গী আৰু সম্বল হৈ পৰিল। বিষাদ বেজাৰতে দিনবোৰ যাবলৈ ধৰিলে।

সেই সময়ত অন্ত এখন দেশত নাগৰাজ নামেৰে এজন ৰজা আছিল। ৰাজকুমাৰ ঋতধ্বজৰ পিতৃৰ লগত তেওঁৰ বৰ বন্ধুত্ব। সেই বন্ধুত্বৰ কাৰণেই ঋতধ্বজক তেওঁ নিজৰ পুত্ৰৰ দৰে জ্ঞান কৰিছিল।

নাগৰাজে ৰাজকুমাৰৰ এনে দুৰ্দ্দশাৰ কথা শুনি মৰ্ম্মান্তিক বেজাৰ পালে। তেওঁ মনত ইমানেই শোক পালে যে ৰাজ্যভাৰ মন্ত্ৰীৰ ওপৰত দি তেওঁ

অৰণ্যলৈ গৈ কঠোৰ তপস্যা আৰম্ভ কৰিলে। তেওঁৰ তপস্যাত তুষ্ট হৈ এদিন স্বয়ং সদাশিৱ আহি তেওঁৰ ওচৰত উপস্থিত হ'ল।

শিৱই তেওঁক বৰ দিবলৈ ওলাল। তেতিয়া ৰজাই কলে, 'প্ৰভু, দয়া-কৈয়ে যদি আপুনি মোক বৰ দিব খুজিছে তেনেহলে এনে বৰ দিয়ক যাতে মই মদালসাক মোৰ জীয়াৰীৰূপে পাওঁ। আৰু অকল সেয়ে নহয়; মৃত্যুৰ ঠিক আগতে তেওঁ যি ৰূপযৌৱনত আছিল—ঠিক সেই অৱস্থাতে পাওঁ।'

মহাদেৱে কলে—'মদালসাৰ শ্ৰাদ্ধৰ দিনা তুমি মৃতকৰ কাৰণে দিয়া পিণ্ড এটা খাই পেলাবা। তেতিয়া তোমাৰ সোঁ-কাণেদি মদালসাৰ জন্ম হব। এবাৰ মৰা কাৰণে তেওঁ আগৰ ৰূপ-যৌৱন লৈ নাৰীৰ গৰ্ভত জন্ম লাভ কৰিব নোৱাৰে।'

যথাসময়ত ৰজা নাগৰাজে শিৱগোঁসায়ে কোৱামতে পিণ্ড খালে আৰু তেওঁৰ সোঁ-কাণেদি কণামাকৰিৰ দৰে অকণমান মদালসাৰ জন্ম হ'ল। মাটিত পৰি মুহূৰ্ত্তে মুহূৰ্ত্তে মদালসা বাঢ়ি আহিবলৈ ধৰিলে আৰু চাই থাকোঁতেই তেওঁ আগৰ ৰূপ-যৌৱনত ভৰি দিলে। ৰজাই তেওঁক আলফুলকৈ নিজৰ ৰাজ্যলৈ নি কোনেও নজনাকৈ এটা সৰু ঘৰত থলে। ৰজাৰ এই কাৰ্য্যৰ কথা আনকি তেওঁৰ ঘৰৰ ল'ৰা-তিৰোতায়ো একো গম নাপালে।

মহাৰাজ নাগৰাজে এদিনাখন কুমাৰ ঋতধ্বজক তেওঁৰ ৰাজ্যলৈ মাতি পঠিয়ালে। কুমাৰৰ মাক-বাপেকে ভাবিলে—দূৰ দেশত ফুৰি-চাকি আহিলে ল'ৰাৰ মনৰ গতি পৰিবৰ্ত্তন হব পাৰে। সেই কাৰণে তেওঁলোকে ৰাজকুমাৰক বন্ধু-বান্ধৱৰ লগত তেওঁলোকৰ পুৰণি বন্ধু নাগৰাজৰ ৰাজ্যলৈ যাবলৈ ৰবৈ কলে। পিতৃ-মাতৃৰ কথা মানি ৰাজকুমাৰ গ'ল—কিন্তু তেওঁৰ মন তেতিয়াও উদাস, সংসাৰৰ কাজ-কামলৈ তেতিয়াও তেওঁৰ সমূলি মন-কাণ নাই।

নাগৰাজে ৰাজকুমাৰক বৰ আদৰ-সাদৰকৈ ৰাখিলে। এদিন দুপৰীয়া ৰাজকুমাৰৰ খোৱা-বোৱা শেষ হ'লত নাগৰাজে তেওঁক কলে—'বোপা ঋত-ধ্বজ, তুমি মোৰ বন্ধুৰ পুত্ৰ। সেই কাৰণেই তুমি মোৰো পুত্ৰৰ দৰে। তোমাক এনে উদাসীন দেখিলে আমাৰ অন্তৰ ভাগি যাব খোজে। কোৱা তুমি কাক কি পালে সুখী হবা?'

ৰাজকুমাৰে কলে—'মহাৰাজ, আপোনাৰ সহানুভূতিৰ বাবে মই আপোনাৰ ওচৰত কৃতজ্ঞ। কিন্তু জগতত এনে একো বস্তু নাই যি আৰু মোৰ অন্তৰৰ হেৰোৱা সুখ ঘূৰাই আনিব পাৰিব।'

ৰাজকুমাৰৰ বন্ধু এজনে কলে—'মহাৰাজ, মদালসাক নাপালে ৰাজকুমাৰ কোনো প্ৰকাৰেই সম্পূৰ্ণ সুখী নহয়। গতিকে আপুনি সেই আশা এৰি দিয়ক। ভগৱানে তেওঁক সহায় নকৰিলে কোনে সহায় কৰিব?'

ৰজাই কলে—'যি মৰিছে তেওঁক কেনেকৈ পোৱা যাব? অৱশ্যে যাদুৰ বলত তেওঁক কোনোবাই দেখিব পাৰে, কিন্তু পাব কেনেকৈ?' ৰাজকুমাৰে উত্তৰ কৰে কলে—'মদালসাক খন্তেকৰ কাৰণে দেখা পালেও মোৰ শোক কিছু পাতলিব। যাদু বিদ্যাৰ দ্বাৰা যদি কোনোবাই তাকে কৰিব পাৰে তেও মোৰ প্ৰাণে কিছু শান্তি পাব।'

ৰজাই কলে—'যাদুবিদ্যা চাব খুজিছা যদি বাৰু তুমি মোৰ লগত আহা।' এইবুলি ৰজাই কুমাৰক নি মদালসা থকা ঘৰৰ দুৱাৰখন মুকলি কৰি দিলে। ৰাজকুমাৰে মদালসাক দেখি কাৰো একো হুকাবধালৈ কাণ নকৰি পোনে পোনে তেওঁক সাৱটি ধৰিবলৈ গৈ। তাৰ পিছত তেওঁ ৰজাৰপৰা সকলো কথা শুনি ৰজাক সাষ্টাঙ্গে প্ৰণাম জনালে আৰু তেওঁৰপৰা বিদায় লৈ নিজৰ ৰাজ্যলৈ উলটিল।

ৰাজকুমাৰৰ মাক-বাপেকে ৰাজকুমাৰক মদালসাৰ লগত তেনেকৈ ঘৰলৈ উভতি অহা দেখি সপোন দেখাৰ দৰে হ'ল। পিছত ৰজা ৰাজকুমাৰৰপৰা সকলো কথা শুনি ৰজাই তেওঁৰ বন্ধু নাগৰাজৰ প্ৰতি কৃতজ্ঞতাত চকুলো মচিলে।

ইয়াৰ কিছুদিনৰ পিছত ৰজা স্বৰ্গী হ'ল। ঋতধ্বজে পিতৃদেৱতাৰ প্ৰেত-কাৰ্য্য সমাধা কৰি সুখেৰে ৰাজ্য চলাবলৈ ধৰিলে।

জন্ম-মৃত্যুৰ যৱনিকা ভেদ কৰিব পাৰিলে জীৱনৰ মাধুৰ্য্যও বহুখিনি হ্ৰাস পায়। মদালসাই শিৱৰ বৰত পুনৰ্জন্ম লভিছিল যদিও জন্ম-মৃত্যুৰ ইপাৰ সিপাৰৰ কথা তেওঁৰ মনত বৈ গ'ল। পূৰ্ব্বজন্মৰ কথা যাৰ মনত থাকে তেওঁক শাস্ত্ৰত জাতিস্মৰ বোলে। পূৰ্ব্বে জড়ভৰতে এইপ্ৰকাৰ জাতিস্মৰতা লাভ কৰিছিল। সেই কাৰণেই তেওঁ সংসাৰত থাকিও সংসাৰৰ প্ৰতি সম্পূৰ্ণভাৱে উদাসীন হব পাৰিছিল।

মদালসাৰো সেয়ে হ'ল। জন্ম-মৃত্যুৰ ৰহস্য ভেদ কৰি তেওঁ প্ৰকৃত জ্ঞান লাভ কৰিলে। তেওঁৰ স্বভাৱৰ গাম্ভীৰ্য্য বাঢ়িল। সকলোৱে ভাবিলে বয়সৰ লগে লগে তেওঁৰ এই পৰিবৰ্ত্তন ঘটিছে।

মদালসাই এতিয়া সকলোকে সংসাৰৰ অস্থিৰতাৰ কথা উপদেশ দিয়ে। সংসাৰৰ প্ৰতি বিৰাগ ভাব তেওঁৰ কাৰ্য্যত ফুটি উঠিবলৈ ধৰিলে।

এইদৰে বহুত দিন যোৱাত মদালসাৰ এটা ল'ৰা উপজিল। ৰজাই ল'ৰাৰ নাম ৰাখিলে বিক্ৰান্ত। ৰাণীয়ে ল'ৰাৰ নাম শুনি কিন্তু অলপ হাঁহিলে। সেই হাঁহিৰ অৰ্থ হলে কোনেও বুজিব নোৱাৰিলে।

বিক্ৰান্ত লাহে লাহে ডাঙৰ হৈ আহিল। ৰজাৰ মনত তেতিয়া অপাৰ আনন্দ। এদিন বিক্ৰান্তই কিবা কাৰণত কান্দি আছিল। ৰাণীয়ে পুতেকক সান্ত্বনা দিবৰ কাৰণে কলে—'বাছা, তুমি কিয় কান্দিছা? তোমাৰ ভয় কিহৰ? তোমাক কোনেও একো কৰিব নোৱাৰে। তোমাৰ এই শৰীৰটো আচলতে তোমাৰ নহয়। তোমাৰ নিজৰ বস্তু আত্মাটোহে। আত্মাৰ জন্ম নাই, মৰণ নাই,। গতিকে তাৰ দুখ সুখো নাই। তোমাৰ তেন্তে দুখ কিহৰ বাবে? তুমি আনন্দময়, তুমি চিৰন্তন।'

বিক্ৰান্তই কান্দিবলৈ এৰিলে। ডাঙৰ হ'লত তেওঁ মাকৰ ওচৰত আত্মাৰ অবিনশ্বৰতাৰ বিষয়ে উপদেশ লবলৈ ধৰিলে। মাকৰ উপদেশ শুনি শুনি বিক্ৰান্তৰ সংসাৰৰ প্ৰতি বিৰাগ ভাব আহিল আৰু চাওতে চাওতে এদিন তেওঁ ৰাজপুৰী এৰি ব'ৰাগী হৈ বনলৈ গুচি গ'ল।

ইয়াৰ পিছত এজন এজনকৈ ৰজাৰ আৰু দুজন পুত্ৰ উপজিল। ৰজাই সিহঁতৰ নাম ৰাখিছিল—ক্ৰমে সুবাহু আৰু অৰিন্দম্‌। কিন্তু কি কপালৰ ফেৰ, ৰাণী মদালসাৰপৰা ত্যাগৰ বিষয়ে উপদেশ লভি ৰাজাৰ ই দুজন পুত্ৰও এজন এজনকৈ ঘৰ এৰি গুচি গ'ল।

তেতিয়ালৈ ৰজাই ৰাণীৰ কাৰ্য্যত একো হকা-বধা কৰা নাছিল। ৰাণীৰ সেই সময়ত আৰু এটি পুত্ৰ উপজিল। এইবাৰ ৰাণীয়ে নিজে পুত্ৰৰ নাম ৰাখে অলৰ্ক। অলৰ্ক শব্দৰ এটা অৰ্থ পগলা-কুকুৰ।

ৰজাই ভাবিলে ৰাণীয়ে এইবাৰ পুত্ৰৰ নাম নিজে দিলে। তাত আপত্তি কৰিবলগীয়া একো নাই। কিন্তু আগৰ দৰে তেওঁ শিশুক শিক্ষা দিবলৈ ধৰিলে হয়তো ইয়োটো পুত্ৰ হেৰুৱাব লাগিব। সেই ভাবি তেওঁ ৰাণীক অনুৰোধ

কৰি কলে—এইবাৰ যেন তেওঁ পুতেকক কোনোপ্ৰকাৰ উপদেশ নিদিয়ে।

ৰাণীও মান্তি হ'ল। ৰজাই পুতেকক উপযুক্ত গুৰুৰ হাতত সঁপি দি পাৰ্থিব মান-গৌৰৱ, ধন-বস্তু, ৰাজ্য-শাসন আদিৰ বিষয় শিক্ষা দিয়ালে। অলৰ্ক ডাঙৰ হৈ আহি যৌৱনত ভৰি দিলত ৰজাই তেওঁক বিয়া কৰাই দিলে আৰু এদিন অভিষেক পাতি ৰাজকাৰ্য্য পুতেকৰ হাতত সমৰ্পণ কৰিলে। বৃদ্ধ বয়স উপস্থিত হ'লত এদিন মহাৰাজ ঋতধ্বজ আৰু তেওঁৰ বৃদ্ধা পত্নী মদালসা দুয়ো পুতেক-বোৱাৰীয়েকৰপৰা বিদায় লৈ বানপ্ৰস্থ গ্ৰহণ কৰি হাবিলৈ গুচি গ'ল।

বিদায়ৰ সময়ত মদালসাই পুতেক অলৰ্কক মাতি নি আঙঠি এটা দি কলে—'বোপা, সংসাৰত আলৈ-আহুকাল, বিপদ-বিঘিনি বহুত আছে। যেতিয়া তুমি সংসাৰৰ জ্বালা-যন্ত্ৰণাত জলাকলা হোৱা, তেতিয়া এই আঙঠি-টোলৈ মন দি চাবা। তাত তোমাৰ কাৰণে সঞ্জীৱনী মন্ত্ৰ দিয়া আছে।'

বহুত দিন যোৱাৰ পিছত ৰজা অলৰ্কৰ পুত্ৰ-পৌত্ৰাদি হ'ল। শৰীৰত বাৰ্দ্ধক্যই দেখা দিলে। সংসাৰ তেওঁৰ কাৰণে দুখৰ কাৰাগাৰ যেন বোধ হবলৈ ধৰিলে। তেতিয়া তেওঁৰ মাকৰ উপদেশলৈ এদিন হঠাৎ মনত পৰিল। তেওঁ মাকে দি যোৱা আঙঠিটো ঘূৰাই-পকাই মন দি চাবলৈ ধৰিলে। তেওঁৰ চকুত পৰিল কিছুমান সৰু সৰু আখৰত লিখা কথা। তেওঁ যত্নেৰে সেইবোৰ পঢ়িলে। তেওঁৰ তেতিয়া জ্ঞান-চকু মেল খালে। তেওঁৰ আত্মাৰ বিষয়ে জ্ঞান উপজিল। গতিকে সংসাৰৰ মেৰ-পাকত আৰু বেছি দিন লোমাই থকা অনুচিত বিবেচনা কৰি ৰাজ্যভাৰ পুতেকৰ হাতত গোধাই দি পিতৃ-মাতৃৰ পথ অনুসৰণ কৰিলে।

ৰাণী মদালসাৰ সংস্পৰ্শত থিয়েই আহিছিল তেওঁৱেই আত্মাৰ বিষয় অমূল্য জ্ঞান লাভ কৰিব পাৰিছিল। জ্ঞানৰ মহিমা এনেকুৱাই। ৰাণী মদালসাই যি জ্ঞান-উপদেশ দি গৈছিল তাকে লৈ হিন্দুৰ পবিত্ৰ শাস্ত্ৰ পুৰাণৰ এছোৱা ৰচিত হৈছে।

মদালসাৰ কাহিনী মাৰ্কণ্ডেয় পুৰাণত আছে। স্বামী বিবেকানন্দই আমেৰিকাত যিবোৰ ধৰ্মবাণী প্ৰচাৰ কৰিছিল তাৰ মাজতে মদালসাৰ কাহিনীও সাধুকথাৰ ছলেৰে বৰ্ণনা কৰিছিল।

ফেটী-সাপৰ অহিংসা ধৰ্ম

এখন হাবিত এটা ফেটী-সাপ বাস কৰিছিল। সাপটো দিনত চৰি ফুৰে আৰু ৰাতি হ'লে গাঁতত সোমাই আৰাম কৰি শোৱে। তাৰ ইমান বিষ আছিল যে খোঁটমৰা মাত্ৰে মানুহ-গৰু সকলো ঢলি পৰিছিল। তাৰ ভয়ত সেই হাবিৰ দাঁতিলৈকে কোনো যাবলৈ সাহ নকৰিছিল। গৰখীয়া ল'ৰাবোৰে তাক দেখি দূৰতে বিদূৰ হৈ পলাই প্ৰাণ ৰক্ষা কৰিছিল।

এদিন এটা সন্ন্যাসী সেই পিনেদি গৈ আছিল। গৰখীয়া ল'ৰাবোৰে সন্ন্যাসীক দেখি ক'লে—'সাধুবাবা, সেইপিনে নাযাব। হাবিৰ দাঁতিতে এটা ভয়ঙ্কৰ ফেটী-সাপ আছে। সি মানুহ-গৰু তাৰ ওচৰলৈ গ'লে পোনেই ঘাইল কৰে।' সন্ন্যাসীয়ে ক'লে—'আমি সন্ন্যাসী মানুহ। হাবিয়ে বনে ঘূৰি ফুৰোঁ। কাৰো অন্যায়-অপকাৰ নকৰোঁ। আমাক নো কিয় সাপে কামুৰিব? কামুৰিব খুজিলেও আমাৰ মন্ত্ৰ আছে নহয়।' ইয়াকে কৈ হাঁহিমুখে সন্ন্যাসী আগুৱাই গ'ল।

সন্ন্যাসী গৈ হাবিৰ ওচৰ পোৱাৰ লগে লগে ফেটী-সাপে ফেট তুলি সন্ন্যাসীলৈ চোঁচা ল'লে। সন্ন্যাসীয়ে ওপৰলৈ হাত তোলাৰ লগে লগে সি থমকি ৰবলৈ বাধ্য হ'ল। গৰখীয়া ল'ৰাবোৰে দূৰৰপৰা এই ঘটনা চাই আছিল। সন্ন্যাসীয়ে সাপৰ লগত কিবা কথা পাতিলে আৰু তাৰ পিছত হাবিৰ মাজেদি তেওঁ নিজৰ গন্তব্য স্থানলৈ গুচি গ'ল। ফেটী-সাপটোৱে ফেট নমাই অহা বাটেদি চোঁচৰি গৈ পুনঃ গাঁতত সোমাল।

সেই দিন ধৰি সাপটো তেনেই নিৰ্জু হৈ পৰিল। গৰখীয়া ল'ৰাবোৰে আজি এখোজ, কালিলৈ দুখোজকৈ হাবিৰ ওচৰলৈ সাহ কৰি আহিবলৈ ধৰিলে। শেহত সিহঁতে সাপটোক সমূলি ভয় নকৰা হ'ল। অকল সেয়ে নহয়, সাপটোক নেজত ধৰি টানি, তাৰ গালৈ শিলগুটি দলিয়াই আদি নানা-প্ৰকাৰে তাক অত্যাচাৰ কৰিবলৈ ধৰিলে। বেচেৰা সাপটোৱে গৰখীয়া ল'ৰাহঁতৰ ভয়ত পলাই ফুৰিবলৈ ধৰিলে। শেষত এনে হ'লগৈ যে, সি আহাৰ বিচাৰি খাব নোৱাৰাত পৰিল। গৰখীয়া ল'ৰাৰ ভয়ত গাঁতৰ

ভিতৰতে পৰি থাকি শুকাই-খীণাই গ'ল।

অন্ত এদিন সেই সন্ন্যাসীজন সেই পিনেদি যাওঁতে। তেওঁ সাপটোক বাহিৰত নেদেখি মাতিবলৈ ধৰিলে। সন্ন্যাসীৰ মাত শুনি সাপ ওলাই আহিল। সন্ন্যাসীয়ে তাৰ অৱস্থা দেখি সুধিলে—'বৎস, তোমাৰ ভাল নে? এনেকৈ লেবেলি গ'লা কিয়? মই শিকোৱা মতে তুমি কাম কৰিছিলানে?' সাপে কলে—'হয় গুৰুদেৱ; আপুনি কোৱামতে মই অহিংস-মন্ত্ৰ যপি সেই দিন ধৰি জীৱ হিংসা কৰা নাই। গছৰ পাত খাই আছোঁ। মানুহ-গৰু কাকো খুঁটিওৱা নাই। তাতে ছল পাই এই গৰখীয়া লৰাবোৰে মোক মাৰি-ধৰি নগুৰ-নাগতি কৰিব লাগিছে। সিহঁতৰ ভয়ত মই দিনে-নিশাই এতিয়া গাঁততে সোমাই থাকোঁ।'

সন্ন্যাসীয়ে কলে—'মই তো তোমাক আহাৰ খাবলৈ হাক দিয়া নাছিলোঁ। মই কেৱল অনাহকত জীৱ-হিংসা নকৰিবলৈ শিকাইছিলোঁ। মানুহ-গৰু তোমাৰ আহাৰ নহয়। তথাপি তুমি আগতে মানুহ-গৰু অলেখ বধ কৰিছিলা। মই তোমাক তেনে ধৰণৰ জীৱ-হিংসা কৰিবলৈহে বাধা দিছিলোঁ। আৰু এই ছুই গৰখীয়া ল'ৰাবোৰক নো তুমি ভয় খুৱাবও নোৱাৰানে? তুমি জানো ফণা তুলি সিহঁতক খুঁটিব খুজি ফোঁচফোঁচাই ভয় খুৱাইছিলা?'

সাপে কলে—'নাই।'

সন্ন্যাসী—"কিয়? মই জানো তোমাক ফোঁচ-ফোঁচ কৰিবলৈও বাধা দিছিলোঁ? এতিয়াৰপৰা তুমি ফোঁচ-ফোঁচ কৰি সিহঁতক ভয় খুৱাবা আৰু সৰু সৰু প্ৰাণী ধৰি ভক্ষণ কৰিবা।'

সেইদিন ধৰি সাপে তাকে কৰিবলৈ ধৰিলে। গৰখীয়া ল'ৰাহঁতে দেখিলে যে কেটী সাপ আকৌ পূৰ্ব্বৰ কেটী সাপ হ'ল। মানুহ ওচৰলৈ গলেই ফেট তুলি ফোঁচ-ফোঁচাই উঠে। ভয়ত সিহঁত তাৰ ওচৰলৈ নোযোৱা হ'ল।

সন্ন্যাসীয়ে আকৌ এদিন সেইপিনেদি যাওঁতে সাপৰ খবৰ লবলৈ ইচ্ছা কৰি তাক মাতিলে। সাপটো ওচৰলৈ অহাত তেওঁ সুধিলে—'ভদ্ৰ, পিছে মই শিকোৱামতে কাম কৰিছিলানে? এতিয়া কেনে পাইছা?' সাপে কলে—'হয়, গুৰুদেৱ! আপোনাৰ অহিংস-মন্ত্ৰৰ গুণ মই এতিয়াহে পাইছোঁ। গৰখীয়াবোৰে মোক এতিয়া আগৰদৰে ভয় কৰে। মই কাকো একো [illegible] কৰা নাই। মোৰ শৰীৰো এতিয়া ভাল।'

সন্ন্যাসীয়ে কলে—'এৰা, ফোঁচ-ফোঁচ কৰিবা কিন্তু খুণ্টিবা। নিজৰ জীৱন ৰক্ষা প্ৰথম কৰ্ত্তব্য; জীৱ-হিংসা নকৰাটো দ্বিতীয় কৰ্ত্তব্য বুলি ধৰি লৈ চলিবা।'

ইয়াকে কৈ সন্ন্যাসীয়ে নিজৰ বাট ললে।

—০—

কাৰ্ত্তিক-গণপতিৰ অৰিয়াঅৰি

গণেশ আৰু কাৰ্তিক দুয়ো ককাই-ভাই। দুয়োৰো পিতাক সদাশিৱ আৰু মাক পাৰ্ব্বতী। পাৰ্ব্বতীৰ অনেক নাম। তেওঁকে উমা, অন্নপূৰ্ণা, জগদ্ধাত্ৰী, আদ্যাশক্তি, ভগৱতী আদি নামত জনা যায়।

কৈলাসত এদিন ভগৱতীয়ে দুই পুতেকক কাষত লৈ আনন্দ মনেৰে গল্প-গুজৱ কৰি বহি আছিল। তেওঁৰ ডিঙিত এডাল সুন্দৰ মালা ওলমি আছিল। তাকে দেখি গণেশে কলে—'আই, মালাডাল তুমি মোক পিন্ধাই দিয়াচোন। এইডাল পিন্ধি মই এবাৰ নন্দন-কাননত এপাক ঘূৰি আহোঁগৈ।'

কাৰ্ত্তিকে মাত লগালে—'দাদা তুমি কেনে অশোভন কথা কৈছা! মালাৰে তুমি কি কৰিবা? এই মালা তোমাৰ মুখত ভাল নেদেখিব। ইয়াক পিন্ধি যদি মই মোৰ ধুনীয়া ময়ূৰটোত উঠি ব্ৰহ্মাণ্ডখনত এপাক ঘূৰি আহোঁ তেতিয়াহলে সকলোৱে মোলৈ চাই বাঃ বাঃ দিব। গতিকে মা, তুমি মালাডাল মোকহে দিয়া।'

দুয়োৰো এনে উথলা-উথলি লগা দেখি ভগৱতীয়ে কলে—'বাৰু তোমা-লোক দুয়ো একে সময়তে যাত্ৰা কৰি বিশ্বব্ৰহ্মাণ্ড ঘূৰি আহা। যিয়ে আহি আগে মোৰ আগত উপস্থিত হবাহি, সিয়েই মালা পাবা।' লগে লগে কাৰ্ত্তিকে তেওঁৰ বাহন ময়ূৰক ইঙ্গিত দিলে আৰু ময়ূৰ আহি তেওঁৰ সমুখত আঠুলৈ থিয় হ'ল। গণেশও তেওঁৰ বাহন এন্দুৰটোকে আনি

মাকৰ ওচৰত হাজিৰ কৰিলে। মাকে 'তোমালোকে এতিয়া যাত্ৰা কৰা' বুলি কৰহে পালে—কাৰ্ত্তিকে পোনেই ময়ূৰত লাফমাৰি উঠিল আৰু হোঁ-হোঁকৰে গুচি গ'ল।

গণেশে ভাৱিলে—কথা বিষম। মোৰ ইন্দুৰে ময়ূৰক কেনেকৈ চেৰ পেলাব? বাৰু এটা উপায় উলিওৱা যাওক। ইয়াকে ভাবি তেওঁ মাকৰ চৰণত ভক্তিভাৱে সেৱা জনালে। মাকেও তেওঁক আশীৰ্ব্বাদ দিলে। তাৰ পিছত গণেশে এন্দুৰটোত লাফমাৰি উঠি লৈ গহীন-গম্ভীৰভাৱে মাক ভগৱতীৰ চাৰিওফালে এবাৰ ঘূৰি আহি পুনঃ আগৰ ঠাইত হাতযোৰ কৰি থিয় হৈ ৰ'ল। মাকে নোযোৱা কিয় বুলি কোৱাত তেওঁ কলে—'মাতা, মোৰ বিশ্বব্ৰহ্মাণ্ড পৰিভ্ৰমণ শেষ হ'ল।' মাকে কলে—'তুমি যেখোন নগলায়ে।' গণেশে তেতিয়া কবলৈ ধৰিলে—'আই, তোমাক জানো জগতে আদ্যাশক্তি ভগৱতী বুলি পূজা নকৰে? তোমাৰপৰাই এই বিশ্ব-ব্ৰহ্মাণ্ডৰ সৃষ্টি। সেইবাবে তোমাক সাবিত্ৰী নামেৰেও জনা যায়। আকৌ তুমি সংসাৰখন ধৰি আছা কাৰণে তোমাক লোকে বোলে—আই ধৰিত্ৰী। তুমিয়ে সমস্তৰে দুখ-শোক, জ্বালা-যন্ত্ৰণা আদি হৰণ কৰা বাবে তোমাক সকলোৱে গায়ত্ৰীও বোলে। তুমিয়ে সৃষ্টিৰ আদি আৰু তোমাতেই এই সৃষ্টি লয় হব। এতেকে তোমাক প্ৰদক্ষিণ কৰিলে—বিশ্বব্ৰহ্মাণ্ড 'প্ৰদক্ষিণ কৰা নহব জানো?' মাক ভগৱতীয়ে পুতেকৰ এনে সৰমলগা অথচ যুক্তিপূৰ্ণ কথা শুনি মনত বৰ আনন্দ পালে।

এনে সময়তে বিশ্বব্ৰহ্মাণ্ড ভ্ৰমণ কৰি কাৰ্ত্তিক মাকৰ ওচৰত ওলালহি। তেওঁ দাদাক গণেশক তাতে দেখি কলে—'কি হ'ল দাদা, তুমি যেখোন ৰণত পৃষ্ঠভঙ্গ দিলা? মালা তোমাক নালাগে নেকি?'

গণেশে কলে—গণেশৰ পৰাজয় ক'ত আছে? নহলে লোকে তেওঁক বিঘ্নবিনাশন, সিদ্ধিদাতা আদি নামত পূজা কৰিবনে? মই ব্ৰহ্মাণ্ড ভ্ৰমণ শেষ কৰিলোঁৱে।' কাৰ্ত্তিকে জানে যে গণেশে কেতিয়াও মিছা কথা নকয়। তেওঁ তেতিয়া বিমোৰত পৰিল। হতভম্ব হৈ তেওঁ মাকক কলে—'আই, মই একো বুজা নাই। তুমি তেন্তে মালা দাদাকে দিবা নেকি?'

মাক ভগৱতীয়ে গণেশৰ যুক্তি কাৰ্ত্তিকক বুজাই কলে। কাৰ্ত্তিকে কথাটো ভাবি চাই দাদাক গণেশৰ বুদ্ধি নশলাগি নোৱাৰিলে। জয়মাল্য গণেশৰ গলতেই পৰিল।

দ্ৰৌপদীৰ দৰ্পচূৰ্ণ

পঞ্চ পাণ্ডৱৰ একে গৰাকী পত্নী আছিল, নাম দ্ৰৌপদী। দ্ৰৌপদীৰ মনত এটা অহঙ্কাৰ আছিল—তেওঁ বৰ ডাঙৰ সতী। জগদীশ্বৰ কৃষ্ণও তেওঁৰ বশ। তেওঁৰ সমান ভাগ্যৱতী কোনো নাই।

ইফালে অন্তৰ্য্যামী ভগৱান কৃষ্ণই এই অহঙ্কাৰৰ কথা নজনাকৈ নাছিল। সেই কাৰণে তেওঁ দ্ৰৌপদীৰ দৰ্পচূৰ্ণ কৰিবলৈ এদিন মনতে পাঙিলে।

তেতিয়া পাণ্ডৱসকল পাশাত হাৰি বনে বনে ঘুৰি ফুৰিছিল। এদিনাখন পাণ্ডৱসকল আৰু দ্ৰৌপদীয়ে হাবিৰ মাজত ফুৰি ফুৰি গৈ এখন বৰ বিতোপন আশ্ৰম দেখিলে। আশ্ৰমত নানা প্ৰকাৰ গছ আছিল, কিন্তু আচৰিত কথা এই যে এজোপা আমত বাহিৰে অইন গছবোৰত হলে ক'তো এটাও ফল নাছিল। সেই আমজোপাতো আম লাগিছিল মাত্ৰ এটা। ডাঙৰ, ধুনীয়া আম, কিন্তু মাত্ৰ এটা।

আশ্ৰমৰ ওচৰ পোৱাত পোনেই দ্ৰৌপদীৰ চকু গৈ আমত পৰিল। তেওঁ আমটো পাৰি আনি দিবলৈ অৰ্জ্জুনক কুটুৰিবলৈ ধৰিলে। মহাবীৰ অৰ্জ্জুনে প্ৰিয়তমা পত্নী দ্ৰৌপদীৰ অনুনয়-বিনয় এবাব নোৱাৰি এপাট শৰেৰে আমটো পাৰি আনি দ্ৰৌপদীৰ হাতত দিলেহি। দ্ৰৌপদীয়ে তেতিয়া আমটো নাখাই মৰমতে ৰাখি থলে। দ্ৰৌপদীৰ সৈতে পাণ্ডৱসকল বনৰ মাজতে জিৰণিলৈ বহিল।

এনেসময়তে যদুমণি কৃষ্ণ তেওঁলোকৰ মাজত ওলালহি। বনত থকোঁতে ভক্ত পাণ্ডৱসকলক তেওঁ মাজেসময়ে এইদৰে দেখা দি নানা উৎসাহ বাণীৰে তেওঁলোকৰ বনবাসৰ কষ্ট লাঘৱ কৰিছিল। সেইদিনা তেওঁ দ্ৰৌপদীৰ হাতত আমটো দেখি কলে—'হায় হায়, কি অকাৰ্য্য কৰিলা? ঋষিৰ আশ্ৰমৰপৰা আমটো কিয় পাৰি আনিলা? এইখন মহামুনি সন্দীপনিৰ আশ্ৰম। ঋষিৰ তপৰ প্ৰভাৱত এই আশ্ৰম সদায় জামৰণীয়া হৈ থাকে, আৰু এজোপা আমত নিতৌ এটাকৈ মাথো আম লাগে। ঋষিয়ে ৰাতিপুৱা ভই উঠি স্নান তৰ্পণ কৰি দুবত তপস্যা কৰিবলৈ যায় আৰু গধুলি

হলে আশ্ৰমলৈ উভতি আহে। গছত সদায় ৰাতিপুৱা এটামাত্ৰ আম লাগে আৰু দিনটোৰ ভিতৰত বাঢ়ি গৈ সন্ধ্যা লগাৰ লগে লগে সি পকে। ঋষিয়ে তাকে মাথো আহাৰ কৰে; তাকে খায়ে তেওঁ জীৱন ধাৰণ কৰে। আজি ঋষি আহি আম নেদেখিলে নিশ্চয় তোমালোকক শাপি ভস্ম কৰিব।'

কথা শুনি পাণ্ডৱসকলৰ মুখ শুকাই আমঠু যেন হ'ল। ভয়ত বিবৰ্ণ হৈ যুধিষ্ঠিৰে কৃষ্ণক কলে—'হে বিপদভঞ্জন কৃষ্ণ! বাৰে বাৰে বিপদত তুমি তোমাৰ ভৃত্য পাণ্ডৱসকলক ৰক্ষা কৰি আছা। এই মহাসঙ্কটতো তোমাত বিনে পাণ্ডৱসকলৰ সহায় আৰু কোনো নাই। হে পতিতপাৱন, তুমি তোমাৰ দাসানুদাস পঞ্চপাণ্ডৱ আৰু যাজ্ঞসেনীক আজি এই ঘোৰ বিপদত পৰিত্ৰাণ কৰা প্ৰভু!'

যুধিষ্ঠিৰৰ কথাত শ্ৰীকৃষ্ণ অলপ গহীন হৈ পৰিল। তেওঁ তেতিয়া কবলৈ ধৰিলে—'ধৰ্মৰাজ, গছৰপৰা পাৰি অনা আম পুনঃ গছত লগাই থোৱা এক-প্ৰকাৰ অসম্ভৱ কাম; কিন্তু অসম্ভৱ হলেও তাক সম্ভৱ কৰিব লাগিব। পিছে এটা কথা, তাকে কৰিবলৈ হলে তোমালোক সকলোটিয়ে আজি এই মুহূৰ্ত্তত মোৰ আগত তোমালোকৰ মনৰ প্ৰধান গুপ্ত অভিলাষবোৰ খুলি কব লাগিব। কোৱাচোন—মই যি সোধো তাকে সকলোৱে অকপটে প্ৰকাশ কৰিবানে?'

সকলোটিয়ে একমুখে কলে—'হে বান্ধৱ কৃষ্ণ! তুমি দেখোন অন্তৰ্য্যামী, আমাৰ অন্তৰৰ সকলো ভাব তোমাৰ জনা আছেই। এনেস্থলতো কব লাগে যদি আমি সকলো কম; তোমাৰ আগত আমাৰ সঙ্কোচ কিহৰ?

তেতিয়া কৃষ্ণই কলে—'কোৱা বাৰু, তোমালোকৰ কাৰ মনত কি ভাব অহৰহ, ঘনে ঘনে জাগি থাকে?'

যুধিষ্ঠিৰে কলে—'হে অচ্যুত, মোৰ এই ভাব—মই যেন পুনঃ ৰাজ্য পালে দুখীয়া-দৰিদ্ৰক ভৰণ-পোষণ কৰি যাগযজ্ঞাদি ধৰ্ম্মানুষ্ঠানত সদায় নিজক নিৰত ৰাখিব পাৰো।' যুধিষ্ঠিৰে কথা কৈ থকাৰ লগে লগে ৰান্ধুৰ ৰসত উঠাৰ দৰে মাটিত থকা আমটো ৰবত ওপৰলৈ আপোনা-আপুনি উঠিল।

তেতিয়া ভীমে কলে—'হে কেশৱ, মোৰ হলে সঁচাকৈ কেতিয়া সেই পাপী দুৰ্য্যোধনৰ উৰুভঙ্গ কৰিব পাৰো, কেতিয়া দুঃশাসনৰ বুকু বিদীৰ্ণ কৰি ৰক্ত-পান কৰিব পাৰো, কেতিয়া আকৌ দ্ৰৌপদীৰ মুক্তকেশ বান্ধি দিব

পাৰোঁ—তাকেহে পাতি থাকোঁ। বিশ্বাস কৰা, সংসাৰতো মই কেতিয়াবা তাকে দেখোঁ।' ভীমৰ কথা শেষ হোৱাৰ লগে লগে আমটো আৰু কিছু ওপৰলৈ উঠিল।

অৰ্জ্জুনৰ পাল পৰিলত তেওঁ কলে—'হে জনাৰ্দ্দন, মোৰ মনত সদায় এনে ভাব আহি থাকে, মই যেন পাপী ক্ষত্ৰিয়সকলক কাটিমাৰি পৃথিবীত ধৰ্ম্মৰাজ্য প্ৰতিষ্ঠা কৰোঁ, সূত-পুত্ৰ কৰ্ণ আৰু পাপী কৌৰৱসকলক যেন কুৰু-ক্ষেত্ৰৰ ৰণত নগুৰ-নাগতি কৰিব পাৰোঁ—ইয়াকে মই সদায় ভাবি থাকোঁ।' এইবাৰো আম আলগত বহুখিনি ওপৰলৈ উঠি গ'ল।

তেতিয়া নকুলে কলে—'হে চিন্তামণি, মোৰ অন্য ভাব নাই। কেতিয়া দাদা ধৰ্ম্মৰাজে পুনঃ ৰাজ্য লাভ কৰে, কেতিয়া আকৌ মই আগৰ দৰে যুৱৰাজ হৈ মহা সুখে কাল কটাব পাৰোঁ, তাকেই ভাবি থাকোঁ।' নকুলৰ কথা শেষ হোৱাৰ লগে লগেও আম আৰু এদোপ ওপৰলৈ গ'ল।

নকুলৰ পিছত সহদেৱে কবলৈ ধৰিলে-'হে কৰুণাময়, মোৰো মনৰ ভাব প্ৰায় নকুলদাদাৰ দৰেই। ময়ো দাদা যুধিষ্ঠিৰক সিংহাসনত বহুৱাই তেওঁৰ আগত চোঁৱৰ বোলাই থাকি ভূত-ভৱিষ্যত গণনাত কেতিয়া আকৌ কাল কটাব পাৰোঁ—তাকেই ভাবি থাকোঁ। মোৰ আৰু অন্য ভাব নাই।' এইবাৰ আম গৈ গছৰ ডালৰ ওচৰ পালে।

সকলো তেতিয়া নীৰৱ। দ্ৰৌপদীক নমতা দেখি কৃষ্ণে ইঙ্গিত দি কলে—'পিছে যাজ্ঞসেনী যে নীৰৱ?'

দ্ৰৌপদীয়ে তেতিয়া কবলৈ ধৰিলে—'হে নাৰায়ণ, মোৰ মনৰ ভাব জেনেহলে শুনক। মই সদায় ভাবোঁ—ভীম-অৰ্জুনৰ হাতত পাপাত্মা কৌৰৱসকল কেতিয়া ধ্বংস হয়; কেতিয়া মই এই দুৰাচাৰবিলাকৰ স্ত্ৰীকুলক কান্দি কান্দি আতুৰ হোৱা দেখিবলৈ পাওঁ, আৰু কেতিয়া মই আকৌ পূৰ্ব্বৰদৰে যজ্ঞাদি ধৰ্ম্মানুষ্ঠানবোৰত ধৰ্ম্মৰাজক সহায় কৰিব পাৰোঁ। মোৰ আৰু অন্য চিন্তা নাই, প্ৰভু।' দ্ৰৌপদীয়ে কথা কোৱা সময়ত আমটো আকাশত আন্দোলিত হবলৈ ধৰি আছিল। কথা শেষ হোৱাৰ লগে লগে সি নামি আহি তেনেই মাটিৰ ওপৰত বাগৰি, [illegible]

ভগৱান কৃষ্ণই তেতিয়া বিষম বিৰক্তিৰ সুৰত কলে—'ধৰ্ম্মৰাজ, সকলো বিফল হ'ল। দ্ৰৌপদীৰ কপটতাৰ কাৰণে সকলো পণ্ড হ'ল। তেওঁ মনৰ কথা খুলি নকৈ কপট আচৰণ কৰিলে। হায়, মই এনে অৱস্থাত আৰু কি কৰিব পাৰোঁ?' কৃষ্ণে এইদৰে কোৱাত মহাবীৰ অৰ্জ্জুন খঙত জ্বলি উঠিল। তেওঁ তৎক্ষণাৎ দুৰ্জ্জয় গাণ্ডীৱ ধনু হাতত তুলি লৈ দ্ৰৌপদীক কাটিবলৈ বুলি টোপৰপৰা এপাট শৰ আনি গুণত যুৰিলে। তাকে দেখি সখা কৃষ্ণে অৰ্জ্জুনক খন্তেক ৰবলৈ কৈ দ্ৰৌপদীক কলে—'যাজ্ঞসেনী, এতিয়াও সময় আছে, কপট নকৰি মনৰ প্ৰকৃত ভাব খুলি কলে—এতিয়াও উপায় পোৱা যাব।'

দ্ৰৌপদীয়ে তেতিয়া লাজ-অপমানত ৰঙা-চঙা পৰি কবলৈ ধৰিলে—'হে হৃষীকেশ, মোৰ স্বয়ম্বৰ-সভাত মই যেতিয়া মহাবীৰ কৰ্ণক ধনু তুলি লোৱা দেখিছিলোঁ, তেতিয়া মোৰ মনত আশা হৈছিল তেওঁক মই পতিৰূপে পাম। পিছত মই যেতিয়া পাণ্ডৱসকলৰ পত্নী হলোঁহি, তেতিয়াও কেতিয়াবা কেতিয়াবা মোৰ মনত এনে প্ৰবল আকাঙ্ক্ষা এটা মাজে মাজে উদয় হয়হি-কৰ্ণৰে সৈতে মোৰ পতি ছজন হলেও যেন বেয়া নহ'লহেঁতেন।'

দ্ৰৌপদীৰ কথা শুনি পাণ্ডৱসকল বজ্ৰাহত হোৱাৰ দৰে হ'ল। কিন্তু কথা শেষ হোৱাৰ লগে লগে আমটো গৈ পূৰ্ব্বৰদৰে গছত লাগি থাকিল। এনে অসম্ভৱ কাণ্ড দেখি ভীমে উঠি হাতত গদাডাল লৈ খঙেৰে গৰ্জ্জি কবলৈ ধৰিলে—'ইমানদিনে কৃষ্ণাৰ এই কুৎসিৎ অভিলাষৰ কথা জানিবপৰা নাছিলোঁ। পঞ্চপতি লাভ কৰিও পাঞ্চালীৰ বাঞ্ছা পূৰ হোৱা নাই। এওঁ বোলে আকৌ পতিব্ৰতা সতী! তিৰোতাৰ চৰিত্ৰ যদি এনেকুৱাই হয়, তেন্তে স্ত্ৰীসঙ্গ সমূলি ত্যাগ কৰাই শ্ৰেয়ঃ। এনে কলঙ্কিনী দ্ৰৌপদীৰো চিন পৃথিৱীৰপৰা এই মুহূৰ্ত্ততে লোপ কৰাটোহে উত্তম কাম হব।' এই বুলি তেওঁ দ্ৰৌপদীৰ ফালে চোঁচা ললেহি।

কথা বিষম দেখি বুদ্ধিসাগৰ কৃষ্ণই তেতিয়া ভীমৰ হাত দুখনত ধৰি হাহি হাহি কবলৈ ধৰিলে—'ভায়া ভীম, দ্ৰৌপদীক দোষ নিদিবা। মোৰ কথা শুনা। ভূত-ভবিষ্যৎ, বাহিৰ-ভিতৰ সকলো মোৰ জ্ঞাত। এনে স্থলত মই এতিয়াও কওঁ শুনা। দ্ৰৌপদী আজিও সঁচাকৈয়ে পতিব্ৰতা সতী। কলঙ্ক-কালিমা তেওঁৰ গাত লেশ মাত্ৰও নাই। পৃথিৱীত তেওঁৰ সমান পতি-

ৰতা নাৰী আৰু আছে নে নাই সেইটো কোৱা টান। ই তেওঁৰ নাৰী অন্তৰৰ দুৰ্ব্বলতা। সেই দুৰ্ব্বলতা কি কাৰণে তেওঁৰ অন্তৰত উপজিবলৈ পালে—সেই বিষয়ে মই আকৌ কেতিয়াবা কম। মুঠতে, তেওঁ নিষ্কলঙ্ক, তেওঁ সাধ্বী সতী। তেওঁৰ গাত দোষ নাই।'

পঞ্চ পাণ্ডৱে কৃষ্ণৰ কথাত প্ৰত্যয় মানিলে। সকলোৱে গৈ সেইদিনা সন্দীপনি মুনিৰ আশ্ৰমত ৰাতিটো কটাই পিছদিনা অন্য স্থানলৈ যাত্ৰা কৰিলে।

———

বিশ্বামিত্ৰৰ ব্ৰহ্মজ্ঞান লাভ

বশিষ্ঠ ঋষিৰ পবিত্ৰ আশ্ৰম। নানা তৰহৰ গছ-গছনিৰে সেউজীয়া, নানা ধৰণৰ ফুল-ফলেৰে জাতিকাৰ। গছৰ ডালত কুলি, কেতেকী, ভাটৌ, ময়না আদি বিবিধ বিহগৰ গীত। আশ্ৰমৰ সোঁ-মাজেদি বৈ গৈছে তিনিটি পৰ্ব্বতীয়া নিজৰা সন্ধ্যা, ললিতা আৰু কান্তা। পুৱা-গধূলি পবিত্ৰ বেদ-ধ্বনিৰে আশ্ৰম মুখৰিত হৈ উঠে। হাজাৰ হাজাৰ শিষ্যই ঋষিৰ পাৱত প্ৰণতি জনাই তপ-অধ্যয়ন অভ্যাস কৰে। প্ৰকৃতিৰ এনে বিতোপন দৃশ্য-ৰাজিৰ মাজত শিষ্যসকলৰ দ্বাৰা পৰিবেষ্টিত হৈ মহাতপা বশিষ্ঠ ঋষিয়ে মনৰ আনন্দত কাল কটাইছে। ভগৱৎ-চিন্তাত বাহিৰে অন্তৰত কাৰো অন্য চিন্তা এতো নাই।

এইদৰে বহুত দিন গ'ল। বহু শতাব্দি পাৰ হ'ল। এনেতে এদিন মহাৰাজ বিশ্বামিত্ৰ সসৈন্যে গৈ আশ্ৰমত উপস্থিত। ঋষিৰাজ বশিষ্ঠই আগ-বাঢ়ি আহি মহাৰাজৰ যথাযোগ্য অভ্যৰ্থনা আৰম্ভ কৰিলে। ঋষিৰাজ বশিষ্ঠৰ এজনী ক্ষীৰৱতী-গাভী আছিল—নাম নন্দিনী। ঋষিৰাজে এই গাইজনী তপস্যাৰ বলত লাভ কৰিছিল আৰু গাইজনীয়ে ঋষিৰ আৱশ্যকমতে কল্পতৰু বৃক্ষৰ দৰে যেতিয়াই যি লাগে তাকে যোগাব পাৰিছিল।

মহাৰাজ বিশ্বামিত্ৰৰ আগমনত ঋষিৰ আদেশ অনুযায়ী নন্দিনীয়ে ৰাজ-অভ্যৰ্থনাৰ উপযোগী সকলো সম্ভাৰ পঞ্চতকৰ ভিতৰতে যোগান ধৰিলে।

ৰজাই ঋষিৰ এনে অপূৰ্ব্ব আদৰ-অভ্যৰ্থনাত পৰম পৰিতোষ লভিলে। কিন্তু সেই নন্দিনী নামৰ গাইজনী লাভ কৰিবৰ কাৰণে তেওঁৰ লোভ লাগিল। ঋষি বশিষ্ঠক মাতি তেওঁ নিজৰ মনৰ অভিপ্ৰায় ব্যক্ত কৰিলে আৰু গাই-জনীক তেওঁৰ হাতত শুদ্ধচিত্তে শোধাই দিবলৈ অনুৰোধ কৰিলে। ঋষি ৰজাৰ এনে অযুক্তিসঙ্গত অনুৰোধ ৰক্ষা কৰিবলৈ মান্তি হব নোৱাৰিলে।

বিশ্বামিত্ৰ বাহুবলী ৰজা। সামান্য ঋষি এজনৰ তেনে প্ৰত্যাখ্যানত তেওঁ অপমান বোধ কৰিলে। তেওঁ আশ্ৰমৰপৰা গাইজনী বলেৰে ধৰি নিবলৈ স্থিৰ কৰিলে। সেইমতে তেওঁ অনুচৰবোৰক ইঙ্গিত দিলে আৰু ৰজাৰ সৈন্য-সামন্তই আহি নন্দিনীক বান্ধি ললে। নন্দিনীয়ে কাতৰভাৱে তাইৰ মালিক ঋষিৰ ফালে চাই ৰ'ল। ঋষিয়ে তাইৰ মনৰ গতি বুজিব পাৰি কলে—'আই নন্দিনী, তোক মই নিজ ইচ্ছাত কালৈকো দান কৰা নাই। ৰজা বিশ্বামিত্ৰই বলেৰে তোক আজি ধৰি নিব খুজিছে। মহাৰাজৰ অতিথি-অভ্যৰ্থনাৰ প্ৰতিদান এয়ে হব বুলি জনা হলে মই কেতিয়াও অভ্যৰ্থনাৰ ভাৰ তোৰ ওপৰত নিদিলোহেঁতেন। এনে অৱস্থাত তই অৱস্থা বুজি ব্যৱস্থা কৰ, আই।' কথা শেষ হোঁৱাৰ লগে লগে ৰজাৰ সৈন্যসকলে নন্দিনীক আশ্ৰমৰ পৰা টানি লৈ গ'ল।

ঋষি চৰণপৰা মানুহৰ দৰে থিয় হৈ থাকিল। তপোবনৰ গছলতা-বোৰো নন্দিনীৰ বিৰহত নিষ্কম্প, নিৰানন্দভাৱে থিৰ হৈ থাকিল। বিভিন্ন বিহঙ্গৰ বিনন্দীয়া গীতৰ ধ্বনিত থলক লাগি থকা ঋষিৰ আশ্ৰমত নিৰৱধি বাৰে সকলো স্তব্ধ হ'ল। এনে সময়তে বাটত নন্দিনীয়ে তিনিটা বিকট হেম্বেলনি মাৰিলে আৰু চাই থাকোঁতেই সন্মুখত অলেখ সৈন্য-সামন্তৰ উদয় হ'ল আৰু ৰজাৰ সৈন্যবোৰক চকুৰ পচাকতে কাটি-মাৰি ধূলিসাৎ কৰিলে। মহাৰাজ বিশ্বামিত্ৰ মাথোন অৱশিষ্ট ৰ'লগৈ; আনকি তেওঁৰ লগত থকা তেওঁৰ আপোন পুত্ৰ এশও তেনেকৈ নিহত হ'ল। ৰজাই থতত এনে মাৰি হৈ দাঁতভঙা সাপৰ দৰে বশিষ্ঠৰ ওপৰত প্ৰতিশোধ লবলৈ সংকল্প কৰি সুকলে ৰাজধানীলৈ উভতিল।

ৰাজধানী পোৱাৰ কিছুদূৰ আগতে ৰজা বিশ্বামিত্ৰই কল্মষপাদ ৰজাৰ এটা দৈত্যক লগ পালে। কথা-বতৰাৰ মাজেৰি আলাপ সংযমৰ ভিতৰতে দুয়োৰো মাজত বন্ধুত্ব গঢ়ি উঠিল। এই কল্মষপাদ দৈত্যও পূৰ্বে বিশ্বামিত্ৰৰ

দৰেই এজন পৰাক্ৰমী ৰজা আছিল। কোনো এটা গুৰুতৰ অপৰাধত বশিষ্ঠ ঋষিয়ে তেওঁক ব্ৰহ্মশাপ দি দৈত্যত পৰিণত কৰিছিল। বিশ্বামিত্ৰৰ লগত এতিয়া দুয়ো পৰামৰ্শ কৰি ইয়াকে স্থিৰ কৰিলে যে বিশ্বামিত্ৰ নিহত হোৱা এশ পুত্ৰৰ পৰিবৰ্তে বন্ধু কল্মষপাদে এতিয়া গৈ বশিষ্ঠমুনিৰ শত পুত্ৰক খাই পেলাব। সেইমতেই কাম হ'ল আৰু কল্মষপাদ দৈত্যই ছেগ বুজি বশিষ্ঠ ঋষিৰ শতপুত্ৰক খাই পেলালে। তাতো কিন্তু বিশ্বামিত্ৰ ৰজাৰ মনত শান্তি নাহিল। প্ৰতিশোধৰ বহ্নিয়ে তেওঁক পুৰি মাৰিবলৈ ধৰিলে। বাহুবলৰ ওপৰত তপস্যাৰ বলৰ প্ৰভাৱ দেখি তেওঁৰো মন তপস্যাৰ ফালে ঢাল খালে। ৰাজধানীলৈ আহি ৰজা হৈ তেওঁ আৰু বেছি দিন নাথাকিল। তেওঁৰ মনত দৃঢ়ভাৱে প্ৰতীয়মান হ'ল যে ক্ষত্ৰিয়ৰ বাহুবলতকৈও ব্ৰাহ্মণৰ তপোবল বহুগুণে শ্ৰেয়ঃ। সেই কাৰণে ৰজা বিশ্বামিত্ৰই ব্ৰাহ্মণত্ব লভিবৰ অভিপ্ৰায়ে হিমালয় পৰ্ব্বতলৈ গৈ কঠোৰ তপস্যা আৰম্ভ কৰিলে।

অনেক বাধা-বিঘিনি অতিক্ৰম কৰি শ-শ বছৰ তপস্যা কৰাৰ ফলত তেওঁৰ ভগৱৎ দৰ্শন লাভ হ'ল। সৃষ্টিকৰ্ত্তা ব্ৰহ্মাই নিজে আহি তেওঁক ব্ৰাহ্মণত্ব দান কৰিলে। তেওঁ এতিয়া এজন ঋষি হৈ উঠিল।

ব্ৰহ্মত্ব লাভ কৰাৰ পিছত বশিষ্ঠ ঋষিৰ আশ্ৰমৰ ওচৰতে তেওঁ আশ্ৰম পাতি বহিলহি। বেদাধ্যয়ন, তপস্যা আদিত তেওঁ লাগি গ'ল। হ'লেও কিন্তু ৰজাৰ ৰাজসিক মনোবৃত্তিয়ে তেওঁক সম্পূৰ্ণকৈ এৰা দিয়া নাছিল। এতিয়া এদিন বশিষ্ঠমুনিৰ ওচৰলৈ গৈ তেওঁলো তেওঁক ব্ৰহ্মৰ্ষি বুলি স্বীকাৰ কৰিবলৈ বাধ্য হয় নে নহয় তাকে চাবলৈ তেওঁৰ মন গ'ল। তেওঁ সেই উদ্দেশ্যে এদিন সঁচাসঁচিকৈ বশিষ্ঠাশ্ৰমলৈ গৈ মুনিৰ লগত কথা পাতিলে। বশিষ্ঠ মুনিয়ে কিন্তু তেতিয়াও বিশ্বামিত্ৰক ব্ৰহ্মৰ্ষি বুলি স্বীকাৰ নকৰিলে।

লাজে-অপমানে ঘূৰি আহি বিশ্বামিত্ৰই আকৌ দুগুণ মনোযোগেৰে বেদাধ্যয়ন, জপ-তপ আদি কাৰ্য্যত নিজক নিয়োগ কৰিলে। তেতিয়াও কিন্তু তেওঁক বশিষ্ঠৰ ওচৰত পোৱা অপমানে পুনঃ পুনঃ আঘাত দিবলৈ ধৰিলে। তপ-মন্ত্ৰ শেষ কৰি তেওঁ এদিন হাতত তৰোৱাল লৈ আশ্ৰমৰ পৰা ওলাই হ'ল—মনত এই সংকল্প যে সেই দিনাও যদি বশিষ্ঠই তেওঁক ব্ৰহ্মৰ্ষি বুলি স্বীকাৰ নকৰিবলৈ ইতস্ততঃ কৰে তেনেহলে তৰোৱালৰ দ্বাৰা তেওঁ তেওঁৰ শিৰশ্ছেদ কৰি প্ৰতিশোধ লব।

সেইদিনা সুন্দৰ জোনাক ৰাতি। জোনৰ পোহৰ পৰি গছ-গছনিৰ পাতবোৰ চিক্‌মিকাব লাগিছে। ইফালে সন্ধ্যা, ললিতা, কান্তাৰ কুলুকুলু সুৰ। তপোবনৰ বিতোপন সৌন্দৰ্য্যই মৰতত স্বৰগ ৰচনা কৰিছে। ঋষিৰাজ বশিষ্ঠৰ সন্ধ্যা-গায়ত্ৰী শেষ হৈছে। তেওঁ পত্নী অৰুন্ধতীক মাতি বিশ্বামিত্ৰৰ আশ্ৰমৰপৰা অলপ লোণ ভিক্ষা কৰি আনিবলৈ কলে। বিশ্বামিত্ৰৰ নাম শুনিয়েই অৰুন্ধতী খঙত জ্বলি উঠিল। জ্বলি উঠিবৰ কথাও; কিয়নো বিশ্বামিত্ৰই জানো ৰুধিৰপায় দৈত্যৰ হতুৱাই তেওঁৰ শত পুত্ৰক বধ কৰোৱা নাই? 'ঘাকে নাপাহৰে পুত্ৰৰ শোক; সাপে নাপাহৰে কঁকালৰ কোব।' তেওঁ কৈ উঠিল—'আৰ্য্য! যি বিশ্বামিত্ৰই আপোনাৰ শত পুত্ৰৰ বিনাশ সাধিছে, আপুনি তেওঁক ব্ৰহ্মৰ্ষি বুলি স্বীকাৰ নকৰা কাৰণে যি আজিও আপোনাৰ ওপৰত ৰুষ্ট হৈ আছে, তেওঁৰে ওচৰলৈয়ে আপুনি আকৌ মোক পঠিয়াইছে ভিক্ষাৰ কাৰণে! মই হলে এইবোৰ একো বুজিব পৰা নাই। মোৰ মতেৰে তাতোকৈ তেওঁক আপুনি ব্ৰহ্মৰ্ষি বুলি স্বীকাৰ কৰিলেই দেখোন সকলো বিৰোধৰ শেষ পৰে।'

বশিষ্ঠই মিচিকিয়াই হাঁহি কলে—'তুমি বুজা নাই, অৰুন্ধতী। মই যে অন্তৰৰপৰা বিশ্বামিত্ৰক ভাল পাওঁ। ভাল পাওঁ কাৰণেই ব্ৰহ্মৰ্ষি বুলিও স্বীকাৰ কৰা নাই; আৰু স্বীকাৰ কৰা নাই কাৰণেই তেওঁৰ ব্ৰহ্মত্ব লাভৰ কাৰণে আশা আছে।'

বিশ্বামিত্ৰই এইবোৰ কথা গছৰ আঁৰৰ পৰা শুনি আছিল। তেওঁৰ হাতৰপৰা তৰোৱাল আপোনা-আপুনি খহি পৰিল। বশিষ্ঠৰ এনে উদাৰতা দেখি, নিজৰ অন্তৰৰ সংকীৰ্ণতালৈ ভাবি, তেওঁ বৰ লাজ পালে। লৰি আহি তেওঁ সকলো কথা কৈ বশিষ্ঠৰ চৰণত দণ্ডৱতে প্ৰণাম জনাই ক্ষমা খুজিলে। বশিষ্ঠই কলে—'উঠা বিশ্বামিত্ৰ, আজিৰপৰা তুমি সঁচাকৈয়ে ব্ৰহ্মৰ্ষি হলা।' কৃতজ্ঞতাত পৰিপূৰ্ণ অন্তৰেৰে বিশ্বামিত্ৰই তেতিয়া বশিষ্ঠক কলে—'গুৰুদেৱ, মই আজিৰপৰা আপোনাক গুৰু জ্ঞান কৰিম। কিন্তু আপুনি মোক এনেকৈ স্বীকাৰ কৰিলেই নহব, প্ৰকৃত ব্ৰহ্মজ্ঞানো দিব লাগিব। প্ৰজাপতি ব্ৰহ্মাও মোক সিদিনা ব্ৰহ্মত্ব পোৱা বুলি কৈ গল; কিন্তু কঁতা? মই দেখোন এতিয়াও মাজে মাজে অনুভৱ কৰোঁ মই যেন আগৰ সেই ক্ৰোধ-মোহ-পৰায়ণ বিশ্বামিত্ৰ ৰজা! নহলে মোৰ অন্তৰত প্ৰতিহিংসাৰ

দাবানল কেতিয়াও জ্বলি উঠিলহেঁতেন! সেয়ে নহলে আজিৰ ঘি পাশৱিক মনোবৃত্তি লৈ মই আপোনাৰ আশ্ৰমত প্ৰৱেশ কৰিছিলোঁ—সেইটো কেতিয়াও নকৰিলোঁহেঁতেন। আপুনি ত্ৰিকালজ্ঞ ঋষি; আপুনি মোক ব্ৰহ্মজ্ঞান দি কৃতাৰ্থ কৰক।'

বশিষ্ঠ খন্তেকৰ কাৰণে স্তব্ধ হ'ল। তাৰ পিছত তেওঁ গহীন স্বৰত কলে—'ব্ৰহ্মজ্ঞান লাভৰ কাৰণে উপযুক্ত গুৰুৰ প্ৰয়োজন। তুমি সেই উদ্দেশ্যে অনন্তৰ ওচৰলৈ যোৱা। অনন্তৰ গুৰুতে ভৰ দি ধৰিত্ৰী ৰৈ আছে। তেওঁ নিশ্চয় তোমাক ব্ৰহ্মজ্ঞান লাভৰ প্ৰকৃত পন্থা দেখুৱাই দিব।'

ব্ৰহ্মজ্ঞান লাভৰ দুৰন্ত ক্ষুধা অন্তৰত লৈ বিশ্বামিত্ৰই তেতিয়া অনন্তৰ ওচৰলৈ ঢাপলি মেলিলে। তেওঁ গৈ দেখে শিৰত পৃথিৱীৰ ভাৰ বহন কৰি অনন্ত স্থিৰভাৱে ৰৈ আছে। বিশ্বামিত্ৰই অনন্তক নমস্কাৰ জনালে; অনন্তয়ো উত্তৰত প্ৰতিনমস্কাৰ জনাই আসন গ্ৰহণ কৰিবলৈ কলে আৰু আগমনৰ কাৰণ সুধিলে। বিশ্বামিত্ৰই নম্ৰভাৱে সকলো কথা বিৱৰি কলে।

কথা শুনি অনন্তৰ অন্তৰত পুতৌ আৰু কৰুণা জাগিল। লগে লগে তেওঁ বিশ্বামিত্ৰৰ মূঢ়তাৰ ৰহস্যও উপলব্ধি কৰিলে। তেওঁ কলে—মই তোমাক ব্ৰহ্মজ্ঞান দিব পাৰিম; কিন্তু তুমি মোৰ এই পৃথিৱীৰ ভাৰ বহন কৰিব লাগিব।' বিশ্বামিত্ৰ সন্মত হ'ল। তেওঁ গৰ্ব্বিত-কণ্ঠে কৈ উঠিল—'মোৰ তপস্যাৰ সকলো সাধনা প্ৰয়োগ কৰিছোঁ, মোৰ আদেশ, বসুন্ধৰা, তুমি আগে থকাৰ দৰে শূন্যতেই স্থিৰ হৈ থাকা।' অনন্তই কলে—'তেনেহলে, এয়া মই পৃথিৱীৰ ভাৰ ত্যাগ কৰিলোঁ।' এইবুলি তেওঁ লাহেকৈ আঁতৰিব খুজিলে। পৃথিৱী শূন্যত অস্থিৰভাৱে ঘূৰিবলৈ ধৰিলে। জগতত প্ৰলয়ৰ সূচনা হ'ল। অনন্তই তেতিয়া কলে—'চোৱা, তোমাৰ তপস্যাৰ বলত তুমি পৃথিৱী ধাৰণ কৰিব নোৱাৰিলা। বাৰু, তুমি কেতিয়াবা সাধু-সঙ্গ লভিছিলা নে? যদি লভিছিলা তেনেহলে এতিয়া তাৰ পুণ্যবল প্ৰয়োগ কৰা; পৃথিৱী স্থিৰে ৰব।'

বিশ্বামিত্ৰই ভাবি পালে যে তেওঁ বশিষ্ঠৰ লগত কেই মুহূৰ্তমান কথা পাতিছিল। তেওঁ কৈ উঠিল—'মহামুনি বশিষ্ঠৰ লগত মই খন্তেকৰ কাৰণে কথা পাতিছিলোঁ আৰু সেই মুহূৰ্ততে মই স্বৰ্গলাভ কৰাৰ দৰে পাইছিলোঁ। সেয়ে মাত্ৰ মোৰ একমাত্ৰ সাধু-সঙ্গ ৰাজ্য।' অনন্তই কলে—'তেনেহলে

তাকে প্ৰয়োগ কৰাচোন।' বিশ্বামিত্ৰই পুনঃ গুৰু-গম্ভীৰ স্বৰত কলে— 'বশিষ্ঠৰ খন্তেকীয়া সঙ্গলাভত মোৰ যি পুণ্য অৰ্জন হৈছে, তাৰ বলত বসুন্ধৰা, তুমি স্থিৰ হৈ থাকা, অনন্তই মোক ব্ৰহ্মজ্ঞান দিয়ক।'

অনন্তই কান্ধ এৰি দিলে। পৃথিৱী স্থিৰেৰে থাকিল। বিশ্বামিত্ৰই দেখি তবধ মানিলে। কিন্তু তেওঁ তাতে ক্ষান্ত নাথাকি পুনঃ অবোধৰ দৰে প্ৰশ্ন কৰিলে—'পিছে ব্ৰহ্মজ্ঞান?' অনন্তই কলে—'বিশ্বামিত্ৰ, তুমি ইমান তপ-যপ কৰি ব্ৰহ্ম-দৰ্শনৰ দ্বাৰাও ব্ৰহ্মজ্ঞান-লাভৰ এই ক্ষুদ্ৰ কথাটো বুজিব নোৱাৰিলা নে? যি বশিষ্ঠৰ মুহূৰ্ত্তমাত্ৰ সঙ্গলাভৰ পুণ্যই বসুন্ধৰা ধৰি ৰাখিবলৈ সমৰ্থ হয়—তেওঁতকৈ আৰু কোন ডাঙৰ গুৰু আছে? তেনেহেন একনা ব্ৰহ্মদৰ্শী, ব্ৰহ্মবিদ্ জ্ঞানগুৰু থাকোঁতেও তুমি আহিছা মোৰ ওচৰলৈ গুৰু বিচাৰি! অমৃতময় জলৰ সুন্দৰ সৰোবৰত নাদুৰি-সাঁতুৰি থাকিও তুমি আহিছা ক্ষুদ্ৰ নাদলৈ পানী বিচাৰি। তুমি এতিয়াই গৈ বশিষ্ঠত শৰণ লোৱা। তেওঁ তোমাক ব্ৰহ্মজ্ঞান দিব।'

পিয়াহত কাতৰ হোৱা মানুহৰ দৰে বিশ্বামিত্ৰ পুনঃ বশিষ্ঠৰ ওচৰলৈ উভতি খাই গল আৰু কলে—'গুৰুদেৱ, তুমি মোক এনে প্ৰবঞ্চনা কৰিলা কিয়? তোমাৰ শিষ্যত্ব লভিবলৈ মোৰ অধিকাৰ নাই—এই চিন্তাই মোক আঁচাকৈয়ে তীব্ৰ যন্ত্ৰণা দিছে।' বশিষ্ঠই মিচিকিয়াই হাঁহি কলে—'শুনা বিশ্বামিত্ৰ, প্ৰথমেই মই তোমাক ব্ৰহ্মজ্ঞান শিকোৱা হলে মোৰ উপদেশত তোমাৰ গভীৰ আস্থা নহ'লহেঁতেন। সেইবাবে মই তোমাৰ পৰীক্ষা ললোঁ। তুমি পৰীক্ষাত উত্তীৰ্ণ হলা। মই তোমাক এতিয়া ব্ৰহ্মজ্ঞান দিম। তুমি মোৰ উপযুক্ত শিষ্য।' এই বুলি তেওঁ বিশ্বামিত্ৰক ব্ৰহ্মজ্ঞান দিবলৈ ধৰিলে।

এই শাস্ত্ৰীয় কাহিনীটো এনে মনোৰম যে ঋষি অৰবিন্দয়ো উত্মাৰ ছলেৰে ইয়াক প্ৰচাৰ কৰিছিল।

—অন্ত—

পৰিশিষ্ট

ৰচনাৱলীৰ খনচেৰেক পুথি সম্বন্ধে যোটাচেৰেক মন্তব্য

১। প্ৰজাপতিৰ নিৰ্ব্বন্ধ (মূল্য ৩৲)

"পুথিখন আদ্যোপান্ত অধ্যয়ন কৰি আমি কব পৰা হৈছো যে লিখকে বিভিন্ন সময়ত নানাভাৱে বৈ অহা সৃষ্টিতত্বৰ চিন্তাধাৰাক একত্ৰিত কৰি যি এটি গভীৰ প্ৰবাহিনীৰ ৰূপ দিলে তাৰ দ্বাৰা সাহিত্যৰ এটি সম্পদ বৃদ্ধি হ'ল।••

আজিকালি বহুতে যৌন-বিচাৰ সম্পৰ্কীয় সাহিত্যক অশ্লীল-মাৰ্গী বুলি অভিহিত কৰিব খোজে; কিন্তু আমাৰ সমাজত এতিয়াও এষাৰি কথা প্ৰচলিত আছে যে, "হব জানিলে মাক-পুতেকও কথা হব পাৰে।" কথাষাৰিয়ে যে মাক-পুতেকৰ ভিতৰত যৌন সম্বন্ধীয় আলোচনা কৰাৰ কথাকে বুজাইছে তাত সন্দেহ নাই। সেইদৰে 'প্ৰজাপতিৰ নিৰ্ব্বন্ধ' লিখকে এই পুথিখনিত যিদৰে প্ৰসঙ্গ তুলিছে তাত অশ্লীলতাৰ কদৰ্য্য ৰূপ নাই বুলি আমাৰ বিশ্বাস। ইয়াৰ ভাষা সংযত আৰু সুখ-পাঠ্য। আমি ইয়াৰ বহুল প্ৰচাৰ কামনা কৰোঁ।"

—সম্পাদক, অসমীয়া; ২২ মাৰ্চ্চ; ১৯৫৮ চন।

PRAJAPATIR NIRBANDHA :

This book of essays is divided into two parts. The first part is all about women, their ways and charms, love, marriage and morals. All the eight essays illustrated profusely from classics of the world, are refreshing and thought-provoking, thus making happy reading. The second part contains four stories with an amusing background. Those who are listening to the call of *Projapati* would find this a balm to the irritated minds.

—*The Assam Tribune,* dated 4 3.58.

সমাজৰ মনত ইস্ ইস্ আস্ আস্ লগা কথাবোৰ এনে মাৰ্জ্জিত অথচ অৰ্থব্যঞ্জক আৰু ৰসাল কৰি লিখিব পৰাটো কম কৃতিত্বৰ পৰিচায়ক নহয়।

"প্ৰজাপতিৰ নিৰ্ব্বন্ধ' আমাৰ সাহিত্যলৈ নিশ্চয় এক অভিনৱ অৱদান।•• যৌন-তত্ত্বৰ সম্পূৰ্ণ সংজ্ঞা নাথাকিলেও 'প্ৰজাপতিৰ নিৰ্ব্বন্ধ'ত সন্নিবিষ্ট অনুৰাগ প্ৰেম-প্ৰীতি বিষয়ক প্ৰবন্ধ কেইটা সেইবোৰৰ অন্তৰ্নিহিত সাহিত্যিক মাধুৰীৰ উপৰিও সংসাৰত প্ৰৱেশ কৰা যি কোনো লোকৰ বাবে বিশেষ উপকাৰী হ'ব।"

—শ্ৰীপৰাগ চলিহা এম, এ,; অধ্যক্ষ, শিৱসাগৰ কলেজ; ১৮।১২।৫৭

• • •

"লেখকৰ বিষয় সন্নিৱেশ, প্ৰকাশ-ভঙ্গী আৰু সৰ্ব্বতোপ্ৰকাৰ নিপুণতাই স্বৰ্গীয় ডাঃ বাণীকান্ত কাকতিদেৱৰ 'সাহিত্য আৰু প্ৰেম'ৰ আলোচনাবোৰলৈ আমাক ঘনাই সোঁৱৰাই দিয়ে।

—নতুন অসমীয়া; ৫ জানুৱাৰী, ১৯৫৮

• • •

"পুথিখন সমাচাৰ-বহুল কিন্তু ৰম্য ৰচনাৰ দৰে অতিশয় সুখপাঠ্য। আজিৰ সময়ত একাধাৰে সাহিত্যৰ সোৱাদ আৰু যৌন-জীৱনৰ ঐতিহাসিক অভিব্যক্তিৰ আভাস লাভ কৰাত পুথিখনে পাঠকক প্ৰভুতভাৱে সহায় কৰিব বুলি আমাৰ বিশ্বাস।

দ্বিতীয় খণ্ডৰ গল্প চাৰিটা প্ৰথম খণ্ডৰ পৰিপূৰক স্বৰূপ; প্ৰথম খণ্ডত কৰা মন্তব্যৰ যেন প্ৰকৃত উদাহৰণ বা দৃষ্টান্তহে।"

—ড' সত্যেন্দ্ৰনাথ শৰ্ম্মা, এম-এ ডি-ফিল;
সম্পাদক, অসম সাহিত্য সভা পত্ৰিকা
(ষোড়শ বছৰ, ৩য় সংখ্যা)।

• • •

—"প্ৰজাপতিৰ নিৰ্ব্বন্ধ' দৰাচলতে উপন্যাস নহয় যদিও বিষয়-বস্তুৰ প্ৰকাশভঙ্গী উপন্যাসৰ নিচিনাই হৈছে। বিষয়-বস্তুৰ মনোগ্ৰাহীতাৰ উপৰিও পুথিখনত নিজস্ব বিশেষত্ব আছে। অসমীয়া ভাষাত এনে ধৰণৰ পুথি নিচেই তাকৰ।"

—অসম বাণী; ৮।১১।৫৮

২। সাহিত্যৰ ৰূপৰেখা (মূল্য ৩৲)

"সাধাৰণ সাহিত্যমোদীৰ বাহিৰেও অসমীয়াক বিশেষ বিষয় কৰি পঢ়া ছাত্ৰৰ কাৰণে (for students of Second Language) এই কিতাপ বৰ লাগতিয়াল হব। আমাৰ প্ৰাগ্‌জ্যোতিষ কলেজৰ ছাত্ৰক পঢ়িবলৈ কবলৈ মই অসমীয়া অধ্যাপকক অনুৰোধ কৰিম।"

—শ্ৰীতীৰ্থনাথ শৰ্মা, এম-এ
প্ৰিন্সিপাল, প্ৰাগ্‌জ্যোতিষ কলেজ,
গুৱাহাটী, ২৩।৭।৫৭।

• • •

—"আপোনাৰ 'সাহিত্যৰ ৰূপৰেখা'ৰ ইঙ্গিতত ইংৰাজী গন্থ পঢ়িবলৈ এটা প্ৰেৰণা লভিছোঁ। ইমান কঠিন বিষয়বোৰ আপুনি ইমান প্ৰাঞ্জলভাৱে আলোচনা কৰিব পাৰিছে যে পঢ়িবলৈ মনে এৰা টান।"

—শ্ৰীগুণগোবিন্দ দত্ত, এম-এ, বি-এল;
প্ৰিন্সিপাল, যোৰহাট কলেজ; ৩।৮।৫৭।

• • •

"অসমীয়া ভাষাত এনে লাগতিয়াল কিতাপ পঢ়া মনত নপৰে।" স্কুল-কলেজৰ ছাত্ৰ আৰু সাহিত্য-শিক্ষকসকলৈ আগোৰাৰে পুথি অপৰিহাৰ্য।
[illegible] শৰ্মা, এম, এ, প্ৰিন্সিপাল, [illegible] কলেজ [illegible]

"শ্ৰীশংকৰাৰ এই পুথিখনে আমাৰ বিশেষকৈ সাহিত্যৰ ছাত্ৰৰ এটা ডাঙৰ অভাৱ পূৰ কৰিছে। পুথিখন কলেজীয়া ছাত্ৰৰ সকলো [illegible]।
—ড° সত্যেন্দ্ৰনাথ শৰ্মা, এম, এ, [illegible]
সম্পাদক, অসম সাহিত্য সভা পত্ৰিকা,
ষোড়শ বছৰ; ১ম সংখ্যা।

"এই পুথিখন অসমীয়া সাহিত্য-ভঁৰালে এটি উৎকৃষ্ট সম্পদ লাভ কৰিলে।"

—অসমীয়া ১৭।৮।৫৭

• • •

—"গোটেইখন পুথিতে লিখকৰ স্বচিন্তা আৰু সংযত প্ৰকাশ-ভঙ্গীৰ নিদৰ্শন আছে। দেশ-বিদেশৰ মনীষীসকলৰ মত পাতে পাতে আছে হয়, কিন্তু লিখকে নিজ চকুৰে বিষয়-বস্তুৰ ওপৰত নিৰীক্ষণ কৰিছে। 'সাহিত্যৰ ৰূপৰেখা' হঠাৎ চমকি উঠা চিক্‌মিকনি নহয়, ই ধীৰ, স্থিৰ বন্তিৰ জেউতি।"

— অসম বাণী ; ২।৮।৫৭।

• • •

••—"এনেকুৱা উপাদেয় চিন্তাৰ আৰু প্ৰকাশৰ উন্মেষ কিতাপখনত বহুত আছে, আৰু সেইবিলাক আমাৰ ন-পুৰণি দুয়োবিধ সাহিত্যিকৰ আৰু সমাজৰ উপকাৰত আহিব বুলি আমি আশা কৰোঁ।"

—নতুন অসমীয়া ; ১।৯।৫৭।

• • •

This is a neatly written volume of essays in criticism. The subjects covered are : literature and its significance, poetry, drama, novel, short story and style in literature. The writer relies for his views and judgment on such widely accredited authorities as Nicholl, Hudson, Keith, Dr. S. N. Dasgupta, Dr. S. B. Dasgupta etc. The purpose of the book is to acquaint the reader with the widest principles of literary taste and criticism and the author is successful in this respect to a considerable extent. The language and manner of putting things are simple and effective. The students of literature will, we hope, find the book very useful.

—*The Assam Tribune*, dated, 15·9.57.

• • •

৩। সমালোচনা সাহিত্য (মূল্য ৩৲)

"This is a book of essays in criticism by the author of "Sahityar Ruprekha." The initial essay goes into the meaning of literary criticism and its different modes Both the Indian as well as the Western views are here taken into consideration. In the few other essays, each one of value, the writer has taken for evaluation Sankardeva's *Balichalan and Rukmini-haran-nat*, Madhavdeva's *Rajasuya*, Rama Saraswati's *Kulachala vadha* and Gopaldeva's *Janmayatra* among the classics of Assam's medieval Vaishnava literature, as also such modern publications as Bholanath Das's *Sitaharan-kavya*, Rajanikanta's *Miri-Jiyari*, Indreswar Barthakur's *Srivatsa-Chinta*. All these papers would go a long way to acquaint the reader with the beauties of these works, and would also give the pleasure of the writer's good style of presentation. The reading public in general and the students of Assamese literature particularly would, we are sure, consider this sheaf of essays a great benefit done to them.

—*The Assam Tribune*, dated 4 5 58.

• • •

"লিখকৰ ভাষা প্ৰাঞ্জল, বক্তব্য বিষয়ক সহজতে প্ৰকাশ কৰিব পৰা ক্ষমতা আছে আলোচনাখিনি পঢ়ি যাওঁতে পাঠকৰ অৱসাদ নাহে। লিখকে আলোচ্যমান গ্ৰন্থ কেইখনৰ ভিতৰলৈ প্ৰৱেশ কৰি তাৰ সৌন্দৰ্য্য পাঠকসকলক দিবলৈ সক্ষম হৈছে।"

—অসম সাহিত্য সভা পত্ৰিকা ; ১৬শ বছৰ ; ৩য় সংখ্যা।

• • •

"আমি পুথিখন শিক্ষাৰ্থী আৰু সাহিত্যানুৰাগীসকলৰ কাৰণে বিশেষ মূল্যৱান বুলি অনুভৱ কৰিছোঁ।"

— নতুন অসমীয়া ; জুলাই, ৫৮।

—"প্ৰস্তাৱনাত লিখকে কৈছে যে 'সাহিত্যত ৰসাস্বাদন, ৰসোপলব্ধি আৰু ৰস-বিচাৰৰ কাৰণে পাঠকৰ অন্তৰত আগ্ৰহ আৰু প্ৰেৰণা যোগোৱাই 'সমালোচনা সাহিত্য'ৰ মুখ্য উদ্দেশ্য। আমাৰ বোধেৰে সেই উদ্দেশ্য যথাৰ্থভাৱে সাৰ্থক হৈছে।"—

অসম বাণী ; ২০ মাৰ্চ্চ' ৫৮।

৪। ওলট-পালট (মূল্য ১৲ টকা)

"ওলট-পালট'ত বাঁহৰ গাখীৰ, পুতলাৰ বিচাৰ, টেঙৰ লগুৱা, বেজৰ নাকত খুৰে থালে, ৰজা জোঁৱাই আৰু বেমাৰী শহুৰ, কাজিৰ বিচাৰ আদি বাৰটা খুহতীয়া গল্প সন্নিবিষ্ট আছে। চুটি আৰু সৰল, অথচ ৰহস্যপূৰ্ণ হোৱা বাবে গল্পবোৰ শিশু, ডেকা আৰু বুঢ়া সকলোৰে কাৰণে সমভাৱে মনোৰঞ্জক হৈছে।"

—অসম বাণী ; ১৪ ফেব্ৰুৱাৰী,' ৫৮।

* * *

"কিতাপখন পঢ়ি অকলে অকলে খিলখুলি বহুত সময় হাঁহিছিলোঁ। আৰু তাকে দেখি ঘৰৰ মানুহ আচৰিত হৈছিল। কেনে পাইছোঁ তাতেই বুজিব।" শ্ৰীহৰেন্দ্ৰনাথ শৰ্মা, বি,এ, হেড্‌মাষ্টৰ, পাটাচাৰকুছি হাইস্কুল। ৭।২।৫৮

"This is a laughing bundle of sketches and stories for the tiny tots, written easily, but written with much wit. It makes us enjoy a happy smile, and would go to provide the tiny tots with hearty laughter,"

—*The Assam Tribune, 4.5.58*

* * *

অসম-ভাৰতী (মূল্য ২৲)

"পুথিখন সহজ সৰল ভাষাত লিখা বাবে আৰু বিষয়বস্তুবিলাক ৰসাল আৰু উপাদেয় হোৱা হেতুকে অতিশয় মনোগ্ৰাহী আৰু সুখপাঠ্য হৈ উঠিছে।

ই গল্পৰ মাজেদি প্ৰতিভাত হোৱা ভাৰতৰ অতীত শিক্ষাৰ প্ৰতীক স্বৰূপ।"

শ্ৰীদীননাথ চহৰীয়া, বি, এ, বি, টি, হেড মাষ্টৰ, মঙ্গলদৈ হাইস্কুল।

"বেদ, উপনিষদ, ৰামায়ণ, জাতক, মহাভাৰত, হৰিবংশ আৰু ভাগৱত —এই সকলোবোৰৰ পৰা উপাদেয় গল্প আহৰণ কৰি সন্নিবিষ্ট কৰাত পুথিখন বিভোপন আৰু মনোগ্ৰাহী হৈছে। স্বাধীন ভাৰতৰ শিক্ষাৰ্থীৰ এনেবোৰ বিষয় বিশেষভাৱে শিক্ষা দিয়াৰ প্ৰয়োজন হৈ পৰিছে। পুথিখনৰ ভাষাও প্ৰাঞ্জল আৰু ৰসাল। এনেবোৰ পুথি শিক্ষাবিভাগৰ গুৰিয়ালসকলৰো চকুত পৰা উচিত।

—শ্ৰীৰঘুনাথ চৌধাৰী, গুৱাহাটী।

৬। কাব্য-প্ৰভা (৫ম সংস্কৰণ, ১।৫০)

—'ন-পুৰণি দুয়োবিধ কবিতাৰ সংগ্ৰহ হিচাপে 'কাব্য-প্ৰভা' অসমীয়া সাহিত্যত অপূৰ্ব্ব আৰু অদ্বিতীয় বুলি নিঃসন্দেহে কব পাৰি।"

—শ্ৰীৰঘুনাথ চৌধাৰী (বিহাগী কবি); গুৱাহাটী।

• • •

"কবিতাবোৰ সাহিত্য-বুৰঞ্জীৰ যুগ হিচাপে দিয়া হৈছে আৰু সেই সেই যুগৰ ৰচনা আৰু ভাব-ধাৰাৰ প্ৰকাশক হৈ পৰিছে।"

—৺গোপীনাথ বৰবৰৈ; গুৱাহাটী।

• • •

"এই পুথিত ন-পুৰণি দুয়ো চামৰ লিখকৰ কবিতালৈ প্ৰায় সমানে চকু দিয়া হৈছে।

[illegible]"

৭। ছাম আৰু জাৱন (মূল্য ৫, টকা)

"......এই গ্ৰন্থখনে পুথি অসমীয়া সাহিত্যত এক প্ৰথম। ভাষাৰ প্ৰাঞ্জলতা আৰু তুলনা কৰি আলোচনা ৰচনাৰ দক্ষতাই পুথিখনৰ উপভোগ্যতা বৃদ্ধি কৰিছে।"

—প্ৰেমনাৰায়ণ।

"যাৰ বান্দৰ সেয়েহে নচুৱাব পাৰে। দৰ্শকে উপভোগ কৰি মন্তব্য দিয়ে। তোমাৰ 'ভূমি আৰু জীৱন' পঢ়িও বৰ বঢ়িয়া লাগিল বুলি মন্তব্য দিলোঁ।"

—শ্ৰীৰঘুনাথ চৌধাৰী।

• • •

"এইখন কিতাপ সঁচাকৈয়ে এটা বস্তু হৈছে।"

—শ্ৰীঅম্বিকাগিৰী ৰায়চৌধুৰী।

• • •

"'ভূমি আৰু জীৱন' পঢ়ি শেষ কৰিলোঁ। কিতাপখন সেই বিষয়ৰ নজনা কথাৰ ভঁৰালৰ দৰে হৈছে। আমাৰ সাহিত্যলৈ ই নিশ্চয় এটা বিশিষ্ট দান।"

—ডঃ প্ৰফুল্লদত্ত গোস্বামী।

o o o

"এৰা, এইখন কিতাপহে মোৰ মনত লাগিল।"

—শ্ৰীবেণুধৰ শৰ্মা।

o o o

"কিতাপখন পঢ়ি বৰ ভাল লাগিল আৰু বহুত নজনা কথাও জানিলোঁ।"

—শ্ৰীৰাধানাথ ফুকন।

o o o

'Bhoomi Aru Jivan' (Land and Life), is a well-written book on land, land-policy and agrarian subjects. The author has very ably treated his subject matter from the historical point of view and has besides put into it the warmth of his personal experience as an officer connected with land and revenue administration. In the historical aspect which the author starts from the very olden times the publication offers a connected account based upon reliable authorities.

Government records and reports and the writings of eminent scholars and historians.

Very conveniently the book is divided into three parts, the first part dealing with land and its historical classifications. the second going into the matters of land ownership and various land reforms and the third part which makes very interesting reading. discussing the duties of Land Officers, their difficulties and handicaps supported with incidents of experience. This would greatly serve as a useful manual to the public in general and officers in particular as it discourses on such important matters of typical interest as Tenancy, Partition, Fragmentation of holding with its attendent baneful effects, Co-operative farming, Bhudan, Settlement Operation, Ceiling Act, Adhiars Act and the like.

—*The Assam Tribune*, dated, 23.11.58.

৮। সাহিত্য-দৃষ্টি (মূল্য ৩৲ টকা)

"'সাহিত্য-দৃষ্টি' শ্ৰীবৰুৱাৰ এখনি প্ৰশংসনীয় গ্ৰন্থ। ইয়াত লিখকে বিভিন্ন ধৰণৰ অসমীয়া সাহিত্য আৰু অসমীয়া সাহিত্যিকৰ অন্তৰ্নিহিত সৌন্দৰ্য্য আৰু বিশেষত্ব বিশ্লেষণ কৰিছে সাহিত্যিক দৃষ্টি-ভঙ্গী লৈ। সাহিত্যিকৰ প্ৰতিভা বিশ্লেষণ লিখকে নিজা দৃষ্টিত কৰিছে। পুথিখন স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীৰ সহায়ক হব।"

—নতুন অসমীয়া, ৩।৭।৬০

"মুঠতে 'সাহিত্য-দৃষ্টি' সাহিত্যামোদী আৰু শিক্ষাৰ্থীসকলৰ বিস্তৰ সহায়ত আহিব।"

—অসম-বাণী, ৬০

"কিতাপখনত অধ্যয়ন আৰু চিন্তাশীলতাৰ পৰিচয় আছে। দ্বিতীয় ভাগৰ আলোচনাকেইটা বিশেষভাৱে আৱশ্যকীয় পাইছোঁ।"

—ডঃ প্ৰফুল্লদত্ত গোস্বামী, এম, এ, ডি, ফিল, ২৭।৫।৬০

• • •

"বিষয়বস্তুৰ ফালৰ পৰা বা সাহিত্যিক দৃষ্টিভংগীৰ ফালৰ পৰাও প্ৰবন্ধকেইটাৰ যথেষ্ট মূল্য আছে। পুথিখনৰ দ্বাৰা অসমীয়া ছাত্ৰ-সমাজৰ উপৰিও আন পাঠক-পাঠিকাও উপকৃত হব।"

—পূৰ্ব্বাকাশ; ১ম বছৰ, ৫ম-৬ষ্ঠ সংখ্যা, ১৩৬৮।

৯। মদন আৰু বসন্ত (মূল্য ৩. টকা)

পুথিখনত শ্ৰীবৰুৱাৰ বহল অধ্যয়নৰ পৰিচয় ফুটি উঠিছে। অনাড়ম্বৰ অথচ নিবন্ধ-নিপাদী, সেয়ে তৰলা ভাষাৰে তেওঁৰ বক্তব্যখিনি লিখিছে।

—অসম বাণী, ২৭।১০।৬১

The book bears a good testimony to your vast learning of the literature both old and new and to your discerning eye of a scientist of the day to day affiars of life. This book certainly fulfils a lacuna in our Assamese Leterature.

Dr. M.M. Bhatacharyya F.R.C.P. F.C.C.P 21-10-61

o • o

পুথিখন মনোৰম অধ্যয়ন সামগ্ৰী হৈ পৰিছে। ইয়াক স্বাধীন চিন্তা আৰু গুহ অধ্যয়নৰ আহিৰূপে গুণগ্ৰাহীয়ে ধুৰুপ অনুশীলন কৰিব। অৱশ্যেই পিৰপিৰণি তোলা মহাৰ্ঘ পুথি 'প্ৰজাপতিৰ নিৰ্ব্বন্ধ'ৰে পৰিপূৰক।

—শ্ৰীমুক্তিনাথ বৰদলৈ, ২।৮।৬১

o • o

শ্ৰীযুত বৰুৱাৰ ৰচনাত পাণ্ডিত্য আছে, পণ্ডিত-মন্যতা নাই; সবলতা আছে, দুৰ্ব্বলতাৰ আবৰকাপোৰ নাই; সচেতনতা আছে, পা মেখুণ্ডা বং-চং নাই। এক কথাত কব পাৰি যে এই গ্ৰন্থই অসমীয়া সাহিত্যৰ ভঁৰাল সকলোপিনৰ পৰাই চহকী কৰিছে।

কৰ্মাচল ৰোড
বামুনীময়দান
গুৱাহাটী—২১

স্বাঃ বীৰেশ্বৰ বৰুৱা
আই. এ. এছ. (অৱসৰপ্ৰাপ্ত)
১৪জুন, ১৯৬৩

—×—

পৰিশিষ্ট

১। শ্ৰীঅতুলচন্দ্ৰ বৰুৱাৰ ৰচিত পুথি

১। শৰৎচন্দ্ৰ গোস্বামীৰ চমু জীৱনী—১৯৪৬
২। পুৰণি পুথিৰ সাধু (শিশু সাহিত্য)—১৯৫১
৩। সমাহৰ্তাৰ আত্মকাহিনী : ১৯৫৪
৪। সাহিত্যৰ ৰূপৰেখা : ১৯৫৭
৫। প্ৰজাপতিৰ নিৰ্বন্ধ : ১৯৫৭
৬। ওলট-পালট (শিশু সা) : ১৯৫৭
৭। সমালোচনা সাহিত্য : ১৯৫৮
৮। ভূমি আৰু জীৱন : ১৯৫৮
৯। সাহিত্য দৃষ্টি : ১৯৬০
১০। মদন আৰু বসন্ত : ১৯৬১
১১। নবী-কথা : ১৯৬৩
১২। সন্ধিয়াৰ সাধু (শিশু সা) : ১৯৬৩
১৩। ডাকে বোলে শুনা উপায় : ১৯৬৪
১৪। সাহিত্য-জীৱন : ১৯৬৫
১৫। লোকদেৱতা শিৱ : ১৯৬৭
৬। গন্ধভাৱতী : ১৯৬৯
১৭। অসমীয়া কাব্যত প্ৰেমৰ যৌৱতী স্তুতি : ১৯৭০
১৮। মাজ নিশাৰ সাধু : ১৯৭২
১৯। স্মৃতিৰ বণ্ডিয়া : ১৯৭৩
২০। মনসা কাব্য আৰু ওজাপালি : ১৯৭৪
২১। বাগ্মীনেতা দেশভক্ত ফুকন : ১৯৭৭
২২। অসমীয়া অভিধান আৰু ভাষা : ১৯৭৭
২৩। ছন্দশিল্পী ভোলানাথ দাস : ১৯৭৮
২৪। খেলিমেলি (শিশু সা) : ১৯৭৮
২৫। অসমীয়া লোক-সাহিত্য : ১৯৮১
২৬। Ojapali, Its Different Types and Fuactions : ১৯৮২
২৭। সানমিহলি (শিশু সা) : ১৯৮৬
২৮। শৰৎচন্দ্ৰ গোস্বামী (চুটি জীৱনী) : ১৯৮৭
২৯। নৱৰত্ন (ন-জনা কৃতী পুৰুষৰ জীৱন আলোচনা) : ১৯৮৮

ভাঙনি পুথি

৩০। মহাপুৰুষ শঙ্কৰদেৱ (শ্ৰদ্ধাঞ্জলি) : ১৯৭৫

সম্পাদনা

৩১। কাব্য-প্ৰভা : ১৯৪১
৩২। অতীত আৰু বৰ্তমান : ১৯৫২
৩৩। মুকুল-প্ৰকাশ : ১৯৬১
৩৪। হিমালয়ৰ আহ্বান : ১৯৬২
৩৫। মধ্যবিংশ শতিকাৰ অসমীয়া সাহিত্য : ১৯৭৪
৩৬। ভাষা জননীৰ সেৱাত দীননাথ চহৰীয়া : ১৯৭৪
৩৭। চক্ৰ-চয়ন : ১৯৭৬
৩৮। ভোলানাথ দাস ৰচনাৱলী : ১৯৭৭
৩৯। ৰঘুনাথ চৌধাৰী ৰচনাৱলী : ১৯৮০
৪০। মোৰ জীৱন যাত্ৰাৰ কথা (কবি ধনাই ৰবাৰ আত্মজীৱনী) : ১৯৮০
৪১। গুৱাহাটী আলোচনা চক্ৰৰ ৰূপৰেখা : ১৯৮৩
৪২। ৰবভী শব্দকোষ (সংকলন আৰু সম্পাদনা) : ১৯৮৮
৪৩। অসমীয়া চলন্ত অভিধান (সহকাৰী সম্পাদক) : ১৯৮৮

স্বৰচিত আৰু সম্পাদিত পুথি সমূহৰ উপৰিও যোৱা পাঁচোটা দশক ধৰি ৰচনা কৰা অলেখ গল্প, প্ৰবন্ধ, সমালোচনা আদি বিভিন্ন সংবাদপত্ৰ, আলোচনী, স্মৃতিগ্ৰন্থ, অভিনন্দন গ্ৰন্থ, পুথিৰ পাতনি আদিত প্ৰকাশ পাইছে।

কেইটামান বিশেষ বিশেষ অনুষ্ঠানৰ প্ৰতিষ্ঠাপক সম্পাদক/সভাপতি আদি :

(১) ১৯৪৫ চন, ১৪ জানুৱাৰী ছিলং মুকুল সংঘ (প্ৰতিষ্ঠাপক সম্পাদক)
(২) ১৯৫০ চন ভিৰৰি মেল (প্ৰতিষ্ঠাপক সম্পাদক)
(৩) ১৯৫১—৫৩=বজিয়া আলোচনী সভা (সংস্থাপক সভাপতি)
(৪) ১৯৫৫/২৭ ফেব্ৰুৱাৰী—গুৱাহাটী আলোচনী চক্ৰ (প্ৰতিষ্ঠাতা সম্পাদক)
(৫) ১৯৭৪-৮৭ ৰবভী কলাকৃষ্টি উন্নয়ন সংঘ : প্ৰতিষ্ঠাপক সভাপতি
(৬) সবিতা সভা : সম্পাদক/কাৰ্যকৰী সভাপতি
(৭) দৰং জিলা সাহিত্য সভাৰ সভাপতি (১৯৭৭-৭৯)
(৮) সুৰভি সাহিত্য সমাজ—২০ ডিচেম্বৰ, ১৯৭২ প্ৰতিষ্ঠা দিনৰ সভাপতি
(৯) কামৰূপ একাডেমী পৰিচালনা সমিতিৰ সভাপতি ১৯৮০—১৯৮৩
(১০) চৰকাৰী ভাষা-প্ৰয়োগ মূল্যায়ন আৰু পৰামৰ্শ সমিতিৰ সদস্য—১৯৮৭
(১১) উক্ত সমিতিৰ অধ্যয়ন সংক্ৰান্ত ভ্ৰমণৰ দলপতি—১৯৮৭
(১২) ৰবভী শব্দকোষ প্ৰণয়ণ সমিতিৰ সভাপতি—১৯৮২
(১৩) (চৰকাৰী) অসমীয়া চলন্ত অভিধান সহকাৰী সম্পাদক—১৯৮৮
(১৪) গুৱাহাটী মেট্ৰপলিটান ইনষ্টিটিউটৰ উপাধ্যক্ষ—১৯৭৭
(১৫) কলিকতা আৰু ঢাকা বিশ্ববিদ্যালয়ৰ পৰীক্ষক—(১৯৩৩-৪৮)
(১৬) কামৰূপ অনুসন্ধান সমিতিৰ আজীৱন সদস্য

২। শ্ৰীঅতুলচন্দ্ৰ বৰুৱাৰ সংক্ষিপ্ত জীৱন-পঞ্জী

জন্ম—১৯১৬, ২৯ মে' সোমবাৰ, ১৬ জেঠ; কৃষ্ণা ত্ৰয়োদশী

জন্মস্থান—মাৰৈ গাঁও (ডুবাহাটী), জিলা—দৰং

পিতৃ: ৺ভোগৰাম বৰুৱা

মাতৃ: ৺প্ৰমিলা বৰুৱা

প্ৰাইমাৰী—১৯২৮ মাৰৈ প্ৰাইমাৰী স্কুল: মঙ্গলদৈ মহকুমাৰ ভিতৰত দ্বিতীয় স্থান

এম. ই—১৯৩২—পাথৰিঘাট এম, ই, স্কুল: অসমৰ ভিতৰত প্ৰথম স্থান আৰু খগেন্দ্ৰ নাৰায়ণ স্মৃতি পদক লাভ

মেট্ৰিক—১৯৩৬ মঙ্গলদৈ চৰকাৰী হাইস্কুল, প্ৰথম বিভাগ, দুটা লেটাৰ সহ বৃত্তি লাভ, বি. এ—১৯৪০—কটন কলেজ গুৱাহাটী

১৯৪৪—এম্. এ. কলিকতা বিশ্ববিদ্যালয়, দ্বিতীয় শ্ৰেণীৰ প্ৰথম স্থান

চাকৰি জীৱন: শিক্ষকতা:

১৯৩৭—৪০—সময়ে সময়ে—ছিপাঝাৰ হাইস্কুল, পাথৰিঘাট এম. ই. স্কুল, মঙ্গলদৈ হাইস্কুল

১৯৪০—৪২—কামৰূপ একাডেমী হাইস্কুল (বৰ্ত্তমান হান্নাৰ চেকেণ্ডাৰী স্কুল)

১৯৪৩—৪৯—ছিলং—অসম সচিবালয়

১৯৪৭—শ্ৰীমতী হিৰণপ্ৰভা বৰুৱাৰ সৈতে বিবাহ: ২ মে', ১৮ ব'হাগ

১৯৪৪—১৯৪৯—অংশকালীন প্ৰবক্তা (ক) ছেণ্ট এন্থনীজ কলেজ, ছিলং
(খ) এণ্ডাৰছন কলেজ, ছিলং

১৯৪৯—১৯৭৪—এ. চি এছত ১৯৪৯ চনত স্বাধীনতাৰ অসমৰ প্ৰথম এ. চি. এছ. পৰীক্ষাত দ্বিতীয় স্থান লাভ কৰি এছ. ডি. চি. নিযুক্ত হয়। লোকপ্ৰিয় গোপীনাথ বৰদলৈ মন্ত্ৰীসভাই নতুন চৰকাৰী নীতি বান্ধি বি ই. এ. চি. পোনে পোনে নিযুক্ত কৰা পূৰ্বৰ নীতি বন্ধ কৰি সেই বছৰত পৰীক্ষা লৈ ১৬ জন এছ. ডি. চি. নিযুক্ত কৰিছিল।

১৯৫০—১৯৫৩ বৰ্ডিয়া: এছ. ডি. চি.

১৯৫৩—১৯৫৮—গুৱাহাটী: এছ, ডি, চি আৰু (এছিষ্টেণ্ট ছেটেলমেণ্ট অফিচাৰ)

১৯৫৮—ছিলং, পি. এ টু কমিচনাৰ

১৯৬৯—১৯৭০—তেজপুৰ, সদৰ এছ, ডি ও

১৯৭১—১৯৭২—মেনেজিং ডিৰেক্টৰ, এপেক্স মাৰ্কেটিং ছোচাইটী

১৯৭২—১৯৭৪—কামৰূপ জিলা: এ, ডি, চি,

১৯৭৪—কামৰূপ জিলাৰ অতিৰিক্ত উপায়ুক্ত হিচাপে অৱসৰ গ্ৰহণ

১৯৭৯—অসম সাহিত্য সভাৰ সভাপতি: ৪৬ সংখ্যক জ্বালামুখী অধিবেশন।

১৯৮৮—১৯৯৩—অসমীয়া চলন্ত অভিধান প্ৰণয়ন (সহকাৰী সম্পাদক)